সাপ্তাহিক নীলাচলৰ সম্পাদকীয়

আৰু বিবিধ বিষয়ৰ অন্যান্য প্ৰবন্ধ

১৯৬৮–১৯৭৭

হোমেন বৰগোহাঞি

সংকলন আৰু সম্পাদনা

ড° ৰণজিৎ সভাপণ্ডিত

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১

প্ৰতিষ্ঠাতা : নৰেন্দ্ৰ চন্দ্ৰ দত্ত, স্থাপিত : ১৯৪৫

সাপ্তাহিক নীলাচলৰ সম্পাদকীয়

সংকলন আৰু সম্পাদনা : ড° ৰণজিৎ সভাপণ্ডিত

প্ৰকাশক

শ্ৰীঅজয় কুমাৰ দত্ত

ষ্টুডেণ্টচ্ ষ্টʼৰচ্

কলেজ হোষ্টেল ৰোড

গুৱাহাটী-৭৮১০০১

পৰিবেশক

ভাৰতী বুক ষ্টল

মেইন ৰোড

গোলাঘাট-৭৮৫৬২১

প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ২০১০

প্ৰচ্ছদ : উৎপল বৰা

মূল্য : ৫৫১.০০ টকা

মুদ্ৰক

আৰ্নিক প্ৰেছ

জি এন বি ৰোড, আমবাৰী

গুৱাহাটী-৭৮১০০১

ফোন : ৯৮৬৪০-৩২৮২১

পাতনি

সভ্য সমাজৰ চালিকা-শক্তি হৈছে সুস্থ জীৱন-যাপন। সুস্থ জীৱন-যাপন আৰু সমাজ গঠন কৰিবলৈ মানুহে পৃথিৱীখনৰ কথা জানিব বিচাৰে। নজনাক জনাৰ, নেদেখাক দেখাৰ আৰু নিত্য নতুন সৃষ্টি [illegible] পৰিৱৰ্ততেই মানুহ হৈ থাকে অধ্যয়নশীল আৰু অনুসন্ধিৎসু। এজন মানুহে পৃথিৱীত ঘটি থকা ঘটনাসমূহ বিষয়ে আয়ত্ত কৰিব পাৰে সিমানেই মনৰ স্পৃহা বৃদ্ধি পায় আৰু এই স্পৃহা বৃদ্ধি কৰিবলৈ প্ৰয়োজন হয় অধ্যয়নৰ পিচত অন্যান্য আৰু [illegible] লগত খবৰৰ। এই খবৰ সংগ্ৰহ কৰিবলৈ আধুনিক সভ্যতাৰ শ্ৰেষ্ঠ সম্বল হ'ল সংবাদ-মাধ্যম বা বাতৰি-কাকত।

আধুনিক অসমীয়া সমাজ নিৰ্মাণৰ ক্ষেত্ৰত বাতৰি-কাকত আৰু আলোচনীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এনে ধৰণৰ কিছু সংখ্যক আলোচনী অসমীয়া ভাষাত প্ৰকাশিত হৈছিল, যিবোৰে অসমীয়া সাহিত্য, সংস্কৃতি, সাংবাদিকতাৰ লগতে অসমৰ অৰ্থনীতি আৰু ৰাজনীতিতো এক বিশেষ দিক-নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল। অসমীয়া সমাজ-সাহিত্যত জোনাকী, আৱাহনৰ পৰা আৰম্ভ কৰি জয়ন্তী, ৰামধেনুলৈকে আলোচনীসমূহে যি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল তালৈ চাই বিদ্বৎ সমাজে এই আলোচনীবোৰৰ চলতি সময়ছোৱাক সেই আলোচনীখনৰ নামেৰে এটা যুগ হিচাবে চিহ্নিত কৰিছিল। পঞ্চাশৰ দশকত প্ৰকাশিত মূলতঃ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য সম্পাদিত ৰামধেনু আলোচনীয়ে আমাৰ সাহিত্যত এক আলোড়ন সৃষ্টি কৰিছিল। ৰামধেনু আলোচনীৰ চলতি সময়ছোৱাক 'ৰামধেনু যুগ' বুলি আমি সকলোৱে জানো। 'ৰামধেনু যুগ'ৰ পিছত 'সাপ্তাহিক অসমীয়া', 'ডি আসাম ট্ৰিবিউন' আৰু 'অসম বাণী'য়ে অসমৰ সংবাদ জগতত আত্মপ্ৰকাশ কৰাৰ দৰে ষাঠিৰ দশকত অসমৰ সংবাদ সাহিত্যৰ ক্ষেত্ৰত 'সাপ্তাহিক নীলাচল'ৰ আত্মপ্ৰকাশ এটা মনকৰিবলগীয়া ঘটনা। ১৯৬৮ চনৰ ২ অক্টোবৰত আত্মপ্ৰকাশ কৰাৰ পৰা আশীৰ দশকৰ মধ্যভাগলৈকে বিস্তাৰিত এই সময়ছোৱাক অসমীয়া সংবাদ সাহিত্যৰ ইতিহাসত 'নীলাচলৰ যুগ' বুলি নামাংকিত কৰিব পাৰি। এই সময়ছোৱা অসমীয়া সমাজ আৰু সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ সময় বুলি বিবেচিত হৈছে। কাৰণ নীলাচলৰ যোগেদি অসমত উচ্চ চিন্তাৰ উন্মেষ ঘটিছিল আৰু গুৰুত্বপূৰ্ণ বিষয়-সূচীৰ ওপৰত গণতান্ত্ৰিক বিতৰ্কৰ বাতাবৰণ গঢ়ি উঠিছিল। লগতে অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত ভাবৰ আদান-প্ৰদানৰ যোগেদি এটা বৃহত্তৰ জাতি গঠনৰ প্ৰক্ৰিয়া ত্বৰান্বিত হৈছিল। এই যুগটোৰ ততোধিক গুৰুত্বপূৰ্ণ সময়ছোৱা হ'ল ১৯৬৮ চনৰ পৰা ১৯৭৭ চনলৈ এই ঘটনাবহুল সময়খিনি। ১৯৬৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিভাজন, ১৯৭১ চনত ভাৰত-পাকিস্তানৰ ৰক্তাক্ত সংঘৰ্ষ আৰু স্বাধীন বাংলাদেশৰ জন্ম, ১৯৭১ চনৰ মাধ্যম আন্দোলন, ১৯৭১ চনৰ অসমৰ ৰাজধানী স্থানান্তৰ আৰু পাহাৰ-ভৈয়ামৰ বিভাজন, ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থা আৰু ভাৰতৰ জাতীয় গণতন্ত্ৰৰ অভূতপূৰ্ব প্ৰত্যাহ্বান, কেন্দ্ৰত জনতা দলৰ চৰকাৰ গঠন আৰু আঞ্চলিক ৰাজনীতিৰ দহবছৰীয় সমৰ্থিনত তিনিজন মুখ্যমন্ত্ৰীৰ অসম শাসন পৰিক্ৰমা ইত্যাদি। উপৰিউক্ত ঘটনাৱলীয়ে দেশৰ আন আন ঠাইৰ লগতে অসম তথা পূৰ্বোত্তৰ ক্ষেত্ৰখনৰ ৰাজনৈতিক আৰু আৰ্থ-সামাজিক দিশত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু সমসাময়িক অসমীয়া বুদ্ধিজীৱী আৰু নাগৰিকৰ মনত অৱতাৰণা কৰা চিন্তা-জিজ্ঞাসা আৰু বিতৰ্কৰ বা-বাতৰি, জ্ঞানগৰ্ভ লেখনি আৰু সৃজনশীল বিশ্লেষণ সাপ্তাহিক নীলাচল কাকতত প্ৰকাশ পাইছিল। বিশ্লেষাত্মক দৃষ্টিভংগীৰে মন কৰিলে দেখা যায় বাৰ্তাৰ সুন্দৰ পৰিৱেশন, নিৰপেক্ষ বিৱৰণ আৰু বৈজ্ঞানিক বিশ্লেষণৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ সাংবাদিকতা সাপ্তাহিক নীলাচলৰ বাহিৰে সমসাময়িক আন কোনো প্ৰাতীয় ভাষাৰ বাৰ্তালোচনীত দেখিবলৈ পোৱা নাযায়।

বাতৰি কাকত হ'ল এখন সমাজ বা এটা জাতিৰ দাপোণ স্বৰূপ। সমাজ এখনক শৃংখলাবদ্ধভাৱে ৰাখি জাতিটোৰ উন্নতিৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত বাতৰি-কাকতৰ ভূমিকা সম্পৰ্কত বিস্তৃত আলোচনাৰ প্ৰয়োজন নিশ্চয় নাথাকে। বাইজে বাছি দিয়া ব্যক্তিজনক যি দায়িত্ব ন্যস্ত কৰা হয়, সেই দায়িত্ব যথাযথভাৱে পালন কৰাৰ বিৱৰণ সংবাদ হ'ব

নোবাৰে। কিন্তু একেজন ব্যক্তিয়ে কৰিব নলগাখিনি নিশ্চয় সংবাদ হ'ব পাৰে। 'নিউ ইয়ৰ্ক উইকলি জাৰ্নেল'ৰ সম্পাদক জন পিটাৰক জনসাধাৰণৰ স্বাৰ্থত চৰকাৰক সমালোচনা কৰাৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছিল। আদালতে পিটাৰৰ সপক্ষে ৰায় দি কৈছিল— "যেতিয়ালৈকে চৰকাৰী পক্ষই প্ৰমাণ কৰি দেখুৱাব নোৱাৰে যে জন পিটাৰে প্ৰকাশ কৰা বাতৰিসমূহ শুদ্ধ নহয়, তেতিয়ালৈকে বাতৰি কাকত নিন্দিত হ'ব নোৱাৰে।" পিটাৰে খালাচ পাইছিল আৰু আদালতৰ ঐতিহাসিক ৰায়টোৱে বাতৰি কাকতৰ স্বাধীনতা প্ৰতিষ্ঠাৰ বাট মুকলি কৰিছিল। পিটাৰৰ ঘটনাই বাতৰি কাকত আৰু সংবাদ মাধ্যমক গণতান্ত্ৰিক দেশত 'চতুৰ্থ স্তম্ভ' হিচাবে আত্ম-প্ৰকাশ কৰিছিল।

অসমত বিশ্লেষণধৰ্মী বস্তু-নিষ্ঠ ঐতিহ্যৰ অভাৱ এটা মনকৰিবলগীয়া বিষয়। এই কাৰণেই হয়তো অসমৰ বৌদ্ধিক মহলৰ মাজত যুক্তিবাদী চিন্তা-চৰ্চা এতিয়াও সীমিত অৱস্থাত থকা যেন অনুভৱ হয়। আমাৰ আধ্যাত্মিক শাস্ত্ৰসমূহত মনস্তাত্ত্বিক অন্তৰ্দৃষ্টি থাকিলেও সি আধুনিক বিশ্লেষণ তথা যুক্তিবাদী চিন্তা-চৰ্চাৰ আৰ্হি নিশ্চয় নহয়। এই লিখনিসমূহৰ উপলব্ধি আৰু অন্তৰ্দৃষ্টি থাকিলেও ইয়াৰ সাক্ষ্য-প্ৰমাণৰ ভিত্তিত পৰীক্ষামূলক সিদ্ধান্ত বিচাৰি পোৱা নাযায়। গতানুগতিকতাৰ পৰা আঁতৰি থাকি স্বাধীন আৰু যুক্তিবাদী চিন্তা-চৰ্চাৰ পাতনি মেলা অসমৰ প্ৰথমজন ব্যক্তি আছিল হেমকোষ ৰচয়িতা হেমচন্দ্ৰ বৰুৱা। বৰুৱাই দি যোৱা ভাবৰ লহৰ অসমৰ কেইজনমান ব্যক্তিৰ মনত ঠাই পাইছিল। কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত সমাজ উত্তৰণৰ প্ৰয়াসেৰে যিসকল কৃথবিদ্যই নিজৰ ধ্যান-ধাৰণাৰে অসমীয়া সমাজখনলৈ প্ৰগতিশীল চিন্তা চৰ্চাৰ বাট মুকলি কৰিছিল, তেওঁলোকৰ ভিতৰত হোমেন বৰগোহাঞি অন্যতম। চৰকাৰী আমোলা হৈও আমোলাতান্ত্ৰিক দুৰ্নীতিক কঠোৰ ভাষাৰে সমালোচনা কৰিবলৈ কুণ্ঠাবোধ নকৰাৰ পৰিণতিত চৰকাৰৰ কোপ-দৃষ্টিত স্বেচ্ছাই চাব ডেপুটি কালেক্টৰৰ পদ ইস্তফা দিয়া, অসমৰ সংবাদজগতৰ শিৰোমণি হোমেন বৰগোহাঞি সাপ্তাহিক নীলাচলৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। সম্পাদকৰ গধুৰ দায়িত্ব বহন কৰি নিজৰ সৃষ্টিশীল কৰ্ম-কুশলতাৰে বৰগোহাঞিদেৱে সাপ্তাহিক নীলাচলক জন-মানসত স্থান দিবলৈ সক্ষম হৈছিল। এক কথাত ক'বলৈ গ'লে নীলাচল তেওঁৰ অক্ষয় কীৰ্তি। ১৯৬৮ চনৰ ২ অক্টোবৰৰ জন্ম-লগ্নৰে পৰা ১৯৭৭ চনৰ ৩১ আগষ্টলৈকে হোমেন বৰগোহাঞিদেৱে সাপ্তাহিক নীলাচলৰ সম্পাদনাৰ দায়িত্ব লৈছিল। বৰগোহাঞিদেৱ আৰু সাপ্তাহিক নীলাচল এই দুয়োটা নামৰ মাজত সম্পৰ্ক ইমান মধুৰ যে যিকোনো এটা নাম ল'লেই আনটো নাম আমাৰ মানস-পটত ভাহি উঠে। অতি সহজ কথাত ক'বলৈ গ'লে সাপ্তাহিক নীলাচল আৰু হোমেন বৰগোহাঞি এটা মুদ্ৰাৰ ইপিঠি সিপিঠি।

দৈনন্দিন জীৱনত আমি সমাজখনক যি ৰূপত দেখো সেই ৰূপটোৰ কোনো পৰিবৰ্তন নঘটাকৈ প্ৰকাশ কৰাটোৱে বাস্তৱতা। সমাজ-সচেতক ব্যক্তি একোজনে প্ৰচলিত সমাজ-ব্যৱস্থাৰ ত্ৰুটি-বিচ্যুতি, প্ৰচলিত ধ্যান-ধাৰণা আদি হৃদয়ংগম কৰি তেওঁৰ লেখনিৰ মাজেদি সেইবিলাক প্ৰকাশ কৰিব বিচৰাটোৱেই হৈছে সাহিত্যত বাস্তৱতা। সাহিত্যত বাস্তৱতা শব্দ দুটা দেখাত সৰল যেন লাগিলেও ইয়াৰ ধাৰণা আৰু প্ৰায়োগিক দিশটো বৰ আকৰ্ষণীয়া। ৰমন্যাসিকতাবাদ (Romanticism)ৰ বিপৰীতে বাস্তৱবাদ (Realism) শব্দটো প্ৰয়োগ কৰা হয়। সাধাৰণ ধাৰণা মতে ৰমন্যাসিক সাহিত্য হ'ল কেৱল অলিক কল্পনা আৰু বাস্তৱবাদী সাহিত্য হ'ল বাস্তৱ ঘটনাৰ সমাহাৰ। সাহিত্যৰ পাঠকৰ এটা কথা জ্ঞাত যে কল্পনা বা মনৰ আবেগ-অনুভূতি অবিহনে সাহিত্য হ'ব নোৱাৰে। আনহাতে বাস্তৱবাদৰ সমৰ্থনকাৰীসকলে বাস্তৱতাক মানি লৈও কল্পনা বা ৰমন্যাসিকতাবাদক সম্পূৰ্ণৰূপে উপেক্ষা কৰিব নোৱাৰে। কাৰণ সাহিত্য জীৱনৰ ঘটনাৱলীৰ মানচিত্ৰ নহয়, বৰ্ণময় চিত্ৰহে। একেদৰে সাহিত্য বাস্তৱতাৰ কেৱল ফটোগ্ৰাফো নহয়। আবেগ, অনুভূতি, কল্পনা এইবোৰ সাহিত্যৰ আধাৰ স্বৰূপ। সেইবাবেই ৰমন্যাসিকতা আৰু বাস্তৱতাৰ মাজত সম্পৰ্কৰ পৰস্পৰ বিৰোধীভাব দেখিবলৈ পোৱা নাযায়। সাংবাদিকতাও এটা সাহিত্যৰ ভাগ হিচাবেহে পৰিচিত, যাক সংবাদ সাহিত্য বুলি নামকৰণ কৰিব পাৰি। এই সাহিত্যত বাস্তৱতাৰ দিশটো প্ৰকট হৈ ফুটি উঠে। পৃথিৱীৰ প্ৰথিতযশা কেবাজনো সাহিত্যিকৰ সাহিত্য চৰ্চাৰ আৰম্ভণি বাতৰি কাকত বা সংবাদ সেৱাৰ মাজেদিহে আৰম্ভ হৈছিল। উদাহৰণ হিচাবে ইংৰাজ সাহিত্যিক চেমুৱেল টেইলৰ কলেৰিজ (Samual Tailor Coleridge), চাৰ্লছ ডিকেন্স (Charls Dickens), ৰুডায়াৰ্ড কিপলিং (Rudeyard Kippling), ৰবাৰ্ট চাদি (Robert Southy), জে এম বেৰি (J. M. Barray) আদি সাৰ্থক সংবাদসেৱী আছিল। বিংশ শতিকাতো ইংৰাজ ঔপন্যাসিকসকলৰ এটা সাধাৰণ বৈশিষ্ট্য আছিল সংবাদ-পত্ৰত লিখা-মেলা কৰা। আমেৰিকাৰ প্ৰসিদ্ধ লেখক মাৰ্ক টোৱেইন (Mark Twain), গ্ৰাহাম গ্ৰীন (Graham Green), নৰ্মান মেইলৰ (Norman

Mailer)ৰ দৰে সাহিত্যিকৰ পূৰ্ণ পৰিচয় পোৱা গৈছিল সংবাদ-পত্ৰৰ যোগেদিহে। ফৰাচী গল্প-লেখক আৰু নাট্যকাৰসকলে তেওঁলোকৰ সাহিত্য সাধনাৰ মাধ্যম হিচাবে বাছি লৈছিল সংবাদ-মাধ্যমক। জাঁ পল ছাত্ৰে (Jean Paul Satre), আলবেয়াৰ কেমু (Albert Camus), ফাঁচুৱা মৰিয়াক (Fruncois Mourice), জৰ্জ ডুহমেল (George Duhmal)ৰ দৰে সু-লেখকে প্ৰতিষ্ঠা লাভ কৰিছিল সংবাদ দাতা হিচাবেহে। সাংবাদিকতাৰ পৰা মহৎ সাহিত্যৰ সৃষ্টি হৈছিল। বাৰ্নাৰ্ড শ্ব' (Barnard Shaw)ই কালজয়ী ধ্ৰুপদী সাহিত্যতকৈ সাংবাদিকৰ লেখাক অধিক গুৰুত্ব দিছিল। ডি চামিং আপ (The Summing up) নামৰ আত্মজীৱনীমূলক গ্ৰন্থত উইলিয়াম চমাৰছেট মমে 'হেমিংৱে গ্ৰুপ'ৰ মাৰ্কিন সাহিত্যক অভিনন্দন জনাই লিখিছে, "তেওঁৰ দিনত তৰুণ ইংৰাজ লেখকসকলে যে আমেৰিকান লেখকক চেৰ পেলাইছিল তাৰ কাৰণ আমেৰিকান লেখকসকলৰ সাংবাদিকসুলভ দৃষ্টিভংগী।" সাংবাদিকে আমাৰ নিকট বৰ্তমানৰ সমস্যাক অধিক গুৰুত্ব দিয়ে আৰু সেই বাবেই তেওঁলোকৰ লেখাই তৎকালীন পাঠকক আকৰ্ষণ কৰে।

মেথ্যু আৰ্নল্ড (Methew Arnold)এ ভাবিছিল যি সময়ত মূল্যবোধসমূহ সন্দেহভাজন হৈ পৰে, সেই সময়ত কাব্য-ৰচনাতকৈ অধিক প্ৰয়োজন হৈ পৰে সমালোচনাৰ। হোমেন বৰগোহাঞিও এনে ধ্যান-ধাৰণাত সঞ্জীৱিত। সাংবাদিক আৰু সাহিত্যিক হিচাবে হোমেন বৰগোহাঞিক বিচাৰ কৰি চালে এজন সাহিত্যিক হিচাবে তেওঁৰ যি ভাবমূৰ্তি, সাংবাদিক হিচাবেও তাক ধৰি ৰখাত সফল হৈছে। পৰিশীলিত জীৱন চৰ্চাৰে পৰিচালিত অসমৰ কম সংখ্যক চিন্তা-নায়কৰ ভিতৰত হোমেন বৰগোহাঞিৰ চিন্তাত উন্মেষ ঘটিছিল যুক্তি আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ। অসমৰ চিন্তাবিদসকলৰ মাজত তেওঁৰ দৰে মনস্তাত্ত্বিক বিশ্লেষক বিৰল বুলি ক'ব পাৰি। তেওঁৰ চিন্তাৰ অন্যান্য যোগাত্মক দিশটো হৈছে শুদ্ধ আৰু অশুদ্ধক পৃথক কৰি বিষয়বস্তুৰ গুৰুত্বত অতি স্পষ্টকৈ ক'ব পৰাৰ দক্ষতা। পৰিবৰ্তনশীল সমাজখনত তেওঁ সৃষ্টিকামী মানসিকতাৰে যুক্তিপূৰ্ণ কথা ক'বলৈ আৰু মানি ল'বলৈ ভাল পায়। তেওঁৰ চেতনাত ৰক্ষণশীলতা বিচাৰি পোৱা নাযায়। ৰক্ষণশীলতা নথকাৰ বাবেই তেওঁৰ চিন্তাত প্ৰতিফলন ঘটে পশ্চিমীয়া যুক্তিবাদী চিন্তাৰ বিচাৰ বিশ্লেষণ। তেওঁ নিজকে এজন সফল সংবাদসেৱী বুলি চিনাকি দিব পাৰিছিল, কাৰণ সৎ উদ্দেশ্যপ্ৰণোদিত (কাৰো কাৰো বাবে অপ্ৰিয়) সমালোচনাকো এচামে (ৰাজনীতিকে) এই মনোভাবেৰেই গ্ৰহণ কৰিছিল। এইটোৱেই হৈছে তেওঁৰ সাংবাদিক জীৱনৰ বিশেষত্ব। সাপ্তাহিক নীলাচলৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাবে হোমেন বৰগোহাঞিয়ে অসমৰ বাতৰি কাকতত এটা নতুন যুগৰ সৃষ্টিৰ উদ্যোক্তা হৈ ৰ'ব। ইয়াৰ কাৰণ এইটোৱেই নহয় যে তেওঁ সাপ্তাহিক নীলাচলৰ পাতত লেখনি প্ৰকাশৰ যোগেদি এচাম নতুন লেখকৰ সৃষ্টি কৰিব পাৰিছিল। সমাজবাদী চিন্তা ধাৰাৰে পৰিচালিত হোমেন বৰগোহাঞিৰ কৰ্মময় সাংবাদিকসুলভ কাৰ্যকলাপ বিশ্লেষণ কৰিলে দেখা যায় সমাজৰ প্ৰতি গভীৰ ভালপোৱা, জনগণৰ প্ৰতি অগাধ বিশ্বাস। অসমৰ অতি দুৰ্বল সাংবাদিকতাৰ ক্ষেত্ৰখনত তেওঁ অতি উৎসাহেৰে, নিঃস্বাৰ্থ মানসিকতাৰে সাংবাদিকতা বৃত্তিক আঁকোৱালি লৈছিল। সংবাদ সেৱাৰ ক্ষেত্ৰখনত তেওঁ নিজকে এজন সফল ব্যক্তি হিচাবে চিনাকি দিব পাৰিছিল। কাৰণ তেওঁ এই ক্ষেত্ৰত এটা নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছিল।

কুৰি শতিকাৰ ষাঠীৰ দশকত ৰচনা কৰা সাপ্তাহিক নীলাচলৰ সম্পাদকীয় পৃষ্ঠাত প্ৰকাশ পোৱা প্ৰবন্ধসমূহ প্ৰকৃতাৰ্থত বৰ্তমান সময়ৰ কাৰণে একো একোখন ঐতিহাসিক দলিল হিচাবে পৰিগণিত হৈছে। নীলাচলৰ সম্পাদকীয় প্ৰবন্ধসমূহ দুটা দিশত গুৰুত্বপূৰ্ণ বুলি ক'ব লাগিব। এটা হ'ল গণতান্ত্ৰিক জীৱন পদ্ধতি সাৰ্থক কৰি তোলাৰ স্বাৰ্থত জনসাধাৰণক গণতান্ত্ৰিক বিতৰ্কত অংশ গ্ৰহণৰ সুবিধা দিয়া, আনটো হ'ল সমাজখনত চলি থকা অবিচাৰ, দুৰ্নীতিৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰি তোলা। প্ৰতিটো সম্পাদকীয় প্ৰবন্ধত তেওঁৰ মননশীল চিন্তাৰ গভীৰ আলোকপাত ঘটিছে। সম্পাদকীয় প্ৰবন্ধসমূহে নিৰ্দিষ্ট বিষয় কিছুমান আলোচনা কৰিবলৈ ভিতৰলৈ সোমাই গৈছিল য'ত পঢ়ুৱে সমাজে সমসাময়িক ঘটনা প্ৰবাহৰ সৈতে চিনাকি হোৱাৰ সুবিধা পাইছিল। তেওঁৰ বেছিভাগ সম্পাদকীয় ইমান মনোগ্ৰাহী আৰু উচ্চ-পৰ্যায়ৰ আছিল যে পাঠকসকলে সেইবোৰত মনোযোগ দি আত্মহাৰা হৈছিল। তেওঁৰ সম্পাদকীয়ত সমালোচনা আছে, বিষোদগাৰ নাই; সত্য প্ৰতিষ্ঠাৰ যত্ন আছে, আবেগ নিৰ্ভৰ উচ্ছ্বাস নাই। তেওঁৰ মত গ্ৰহণ নকৰা সকলেও তেওঁৰ বুদ্ধিমত্তা আৰু ব্যক্তিত্বৰ প্ৰতি শ্ৰদ্ধাশীল আছিল, হয়তো ইয়াৰ কাৰণ এইটো যে ব্যক্তি-স্বাধীনতাত বিশ্বাসী পেইন (Pyne)ৰ এইষাৰ কথাত তেওঁ বিশ্বাস কৰিছিল আৰু হৃদয়ত স্থান দিছিল— 'I may not agree with a word of what you say, but I will defend to the last your right to say it'। এইবোৰ

কাৰণতেই হয়তো তেওঁৰ সম্পাদকীয়সমূহ সু-পাঠ্য হিচাবে পৰিগণিত হ'ব পাৰিছে। ভাষাৰ ওপৰত অগাধ দখল থকাৰ কাৰণে তেওঁৰ সম্পাদকীয় প্ৰবন্ধই সাহিত্যৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে।

অসম আৰু অসমীয়াৰ ইতিবাচক দিশবোৰ সামৰি যুক্তিপূৰ্ণ ভাষাৰে লিখা সম্পাদকীয়সমূহে পাঠকৰ মনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। তেখেতে নীলাচলৰ প্ৰথম সম্পাদকীয়টোত বাতৰি কাকতখনৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে এনেদৰে কৈছিল— "গণতান্ত্ৰিক ৰাষ্ট্ৰত বাতৰি কাকতৰ আটাইতকৈ ডাঙৰ দায়িত্ব হ'ল চিৰ জাগ্ৰত প্ৰহৰী কুকুৰৰ দৰে সকলো বিপদৰ আক্ৰমণৰ পৰা গণতন্ত্ৰক ৰক্ষা কৰাটো। আমি সেই দায়িত্ব নিষ্ঠাৰে সৈতে পালন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ।"

৩১ মে' ১৯৭২ ইং তাৰিখত প্ৰকাশিত সংখ্যাটোৰ সম্পাদকীয়ত লিখিছে— "বিশ বছৰতকৈও অধিক কাল শাসনত অধিষ্ঠিত থকা কংগ্ৰেছ দলে অসমৰ মাটিহীন লোকৰ সমস্যা সমাধানৰ কাৰণে কোনো কাৰ্যকৰী ব্যৱস্থা ল'ব নোৱাৰিলে।" তেওঁ আকৌ কৈছিল— "অসমৰ মাটিৰ সৰ্বোচ্চ নিৰিখ বান্ধি দিয়া আসাম লেণ্ডছ চিলিং এক্টখন কাৰ্যকৰী কৰোতে সিংহ চৰকাৰৰ এক কোটি টকা খৰচ হৈছিল, কিন্তু আইনখনৰ যোগেদি মাটি আদায় কৰিবলৈ সক্ষম হৈছিল মাত্ৰ তিনিশ বিঘা।"

নতুন পুৰুষৰ ভৱিষ্যৎ সম্পৰ্কে তেখেত চিন্তিত হৈছিল। সেই সময়ত অসমত এফালে ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা জটিল ৰূপত দেখা দিছিল, আনহাতে ৰাজ্য চৰকাৰ সমূহে এই সমস্যাৰ সমাধানৰ বাবে কোনো কাৰ্যকৰী ব্যৱস্থা ল'ব পৰা নাছিল। এই সম্পৰ্কে তেওঁ লিখিছিল— "পশ্চিমবংগ চৰকাৰৰ কমিউনিষ্ট উপ-মুখ্যমন্ত্ৰী জ্যোতি বসুৱে পশ্চিমবংগৰ ৰাজহুৱা আৰু ব্যক্তিগত প্ৰতিষ্ঠানত নবৈ শতাংশ চাকৰি নবৈ শতাংশ বাঙালী লোকৰ বাবে" ৰাখিব বিচৰা চৰকাৰী আঁচনি, আকৌ "বিহাৰ, উৰিষ্যাৰ কংগ্ৰেছী চৰকাৰে থলুৱাৰ স্বাৰ্থ সুৰক্ষিত কৰা আঁচনি" অসমতো অসমীয়াৰ স্বাৰ্থত একে নীতি প্ৰয়োগ হোৱাটো তেওঁ বিচাৰিছিল। এই বিষয়ে তেওঁ দৃঢ়তাৰে মন্তব্য কৰিছিল— "অসমত নিবনুৱা ডেকাৰ সংখ্যা যিমানেই বাঢ়িছে, চাকৰিৰ সংখ্যা কমিছে।" দুখৰ কথা যে বৰগোহাঞিদেৱে তাহানিতে আঙুলিয়াই দিয়া এই সমস্যাটোৰ সমাধানৰ পথ আজি পৰ্যন্ত কোনো এখন চৰকাৰেই উলিয়াব নোৱাৰিলে।

তদানীন্তন শিক্ষা মন্ত্ৰী স্বৰ্গীয় দেৱকান্ত বৰুৱাৰ তথাকথিত সৰ্বভাৰতীয়তাৰ বিৰোধিতা কৰাতে ক্ষান্ত নাথাকি, তেওঁ বৰুৱাৰ থলুৱাৰ সংজ্ঞাৰো তীব্ৰ বিৰোধিতা কৰিছিল। বৰুৱাই এবাৰ কৈছিল – "ৰাজ্যিক খণ্ডৰ নিয়োগৰ ক্ষেত্ৰখনত সৰ্বভাৰতীয় দৃষ্টিভংগী লোৱা দৰকাৰ আৰু তাকে নকৰি লাভৰ সলনি ক্ষতিহে হ'ব।" বৰুৱাৰ এই মন্তব্যৰ চোকা সমালোচনা কৰি তেওঁ লিখিছিল— "দেৱকান্ত বৰুৱা সৰ্বভাৰতীয় হওক, আমাৰ আপত্তি নাই, কিন্তু অসমীয়া ডেকাসকলৰ প্ৰতিও তেওঁলোকৰ এটা কৰ্তব্য আছে। সেই কৰ্তব্য তেওঁলোকে পালন নকৰিলে।" (থলুৱা আৰু সৰ্বভাৰতীয়, ১৮ জুন ১৯৬৯)

বিদেশী অনুপ্ৰৱেশে অসমৰ থলুৱাৰ অস্তিত্ব বিপন্ন কৰিব বুলি তেওঁ সম্পাদকীয়ত উল্লেখ কৰি গৈছিল। "থলুৱাই মাটিৰ প্ৰাপ্য অধিকাৰ পাব লাগিব। আজি অসমীয়া মানুহৰ নামত যদি নেপাল, পূব পাকিস্তানৰ (হিন্দু-মুছলমান) মানুহে অসমৰ সমুদায় মাটি জোৰ কৰি দখল কৰি লয়, অসমীয়া জাতি চিৰকাললৈ লোপ পাব, শিপা মেলিবলৈ ঠাই নাপাব, অসমীয়া ভাষা-সংস্কৃতি শুকাই মৰি যাব।" আনহাতে বাঁওপন্থীসকলক তেওঁ সকীয়াই দিছিল-- "তেওঁলোকে (বাঁওপন্থী) মাটিহীন মানুহক মাটি দখলৰ সংগ্ৰামৰ নেতৃত্ব লৈছে। তেওঁলোকে এই কথাটো সততে মনত ৰাখিব আৰু নিজৰ দায়িত্ব সম্পূৰ্ণৰূপে উপলব্ধি কৰিব। কিছুমান কামে ভাল ফল দিয়ে। কিন্তু দীৰ্ঘম্যাদী পৰিণাম বেয়াহে হ'ব পাৰে।" (মাটি, ৬ জুলাই ১৯৬৯)

" কেৱল চৰকাৰী উদাসীনতা আৰু অকৰ্মণ্যতাৰ ফলতহে অসমীয়া জাতি দ্ৰুতগতিত ধ্বংসৰ পথলৈ অগ্ৰসৰ হৈছে।" – এনে ধাৰণাৰ ওপৰত তেওঁ অধিক গুৰুত্ব আৰোপ কৰা নাছিল। তেনে ধাৰণাৰ বিপৰীতে তেওঁ লিখিছিল— "... কোনো জাতিয়েই চৰকাৰৰ লেজুত ধৰি ওপৰলৈ উঠিব নোৱাৰে। তাৰ বাবে লাগিব জাতীয় উদ্যম, উচ্চাকাংক্ষা আৰু জীৱনী শক্তি।" তেওঁ আকৌ লিখিছে— "দেশ বিভাজনৰ পিছত অসহায় হৈ পৰা পাঞ্জাবীসকলক চৰকাৰে ধন আগবঢ়াইছিল। তেওঁলোকে দক্ষতা আৰু পৰিশ্ৰমেৰে ধনৰ সদ-ব্যৱহাৰ কৰিব জানিছিল আৰু এটা স্বাৱলম্বী জাতি হিচাবে পৰিচয় দিবলৈ সক্ষম হৈছিল। ..... গ্ৰীকসকলে যেতিয়া উন্নতিৰ শীৰ্ষ বিন্দুত উপনীত হৈছিলগৈ আৰু মহিমামণ্ডিত সভ্যতা গঢ়ি তুলিছিল, তেতিয়া তেওঁলোক আছিল পৃথিৱীৰ দৰিদ্ৰ জাতিবোৰৰ অন্যতম। ... তেওঁলোকক ওপৰলৈ

ঠেলি দিছিল ... তেওঁলোকৰ অপৰিমেয় শক্তি, পৰিশ্ৰম আৰু দক্ষতাই।" অসমীয়া মানুহৰ কাৰণে এনে প্ৰাণ-শক্তি আৰু পৰিশ্ৰমৰ দক্ষতা তেওঁ তেতিয়াই অনুভৱ কৰিছিল আৰু লিখনিৰ মাজেদি এই গভীৰ সমস্যাৱলীৰ বিষয়ে পাঠকৰ মনোযোগ আকৰ্ষণ কৰিছিল।

হোমেন বৰগোহাঞিয়ে ১৯৬৮ চনত সাপ্তাহিক নীলাচলৰ যোগেদি সংবাদ-মাধ্যমত প্ৰৱেশ কৰি যোৱা ৪২ টা বছৰে বিভিন্ন সংবাদ-পত্ৰৰ লগতে বৰ্তমান ইলেক্ট্ৰনিক মাধ্যমতো সেৱা আগবঢ়াই অসমৰ জনগণৰ বিভিন্ন সমস্যা আৰু তাৰ সমাধানৰ পথ সম্পৰ্কে বহুখিনি অভিজ্ঞতা আহৰণ কৰিছে আৰু নিজকে ক্ৰমে ক্ৰমে এজন বেছি গতিশীল আৰু পুৰঠ চিন্তাৰ সাংবাদিক হিচাবে গঢ়ি তুলিবলৈ সক্ষম হৈছে। তেখেতৰ জীৱন যাপন, চিন্তাশীল লিখনি আৰু আদৰ্শৰ মাজত খণ্ডিত ব্যক্তিত্বৰ অৱস্থিতি দেখিবলৈ পোৱা নাযায়। তেওঁ জেওবাৰ ওপৰত বহি ইফাল সিফাল কৰা সাংবাদিক নহয়। সত্য অন্বেষণত তেখেত হৈছে অকুণ্ঠিত। জৰুৰী অৱস্থাৰ সময়ত তেওঁৰ স্বাধীনচিন্তীয়া কংগ্ৰেছ বিৰোধী অৱস্থান সৰ্বজনবিদিত। অসমৰ মন্ত্ৰী আৰু শাসক দলক আঙুলি টোৱাই লিখনিৰে থকা-সৰকা কৰিব পৰা শক্তি তেওঁৰ আছে। হোমেন বৰগোহাঞিৰ দহ বছৰীয়া সম্পাদনা কালত সাপ্তাহিক নীলাচলত প্ৰকাশিত বিবিধ বিষয়ৰ সম্পাদকীয়বোৰ সৰহভাগেই এতিয়াও প্ৰাসংগিক হৈ আছে। সেই দিশৰ পৰা তেওঁৰ সম্পাদকীয় প্ৰবন্ধসমূহ যথাৰ্থতে আমাৰ জাতীয় জীৱনৰ নিমিত্তে মূল্যবান দলিল স্বৰূপ।

* * * * * * * * *

হাইস্কুলীয়া জীৱনৰ পৰা সাপ্তাহিক নীলাচলৰ কেবাটা সংখ্যা পুৰণা কাকতৰ টোপোলাত সযতনেৰে ৰাখি থৈছিলো। মাজে মাজে টোপোলাটো খুলি নীলাচলৰ সংখ্যাকেইটাত চকু ফুৰাই বৰ তৃপ্তি অনুভৱ কৰিছিলো। যোৱা পৃষ্ঠাৰ এই কাকতখনত থকা বাতৰি পৰিৱেশন, সৃষ্টিধৰ্মী সাহিত্যৰ সংযোজন আৰু নানা শিতানেৰে পাঠকক আমোদ দিয়াৰ চমকপ্ৰদ সংবাদ সেৱাই মোৰ দৰে পাঠকক মুগ্ধ কৰিছিল।

অসমৰ কেইটামান অতি স্পৰ্শকাতৰ বিষয়ক লৈ মই বিভিন্ন কাকত-আলোচনীত লিখা নিবন্ধত নীলাচল কাকতৰ পৰা কিছুমান তথ্য সংগ্ৰহ কৰাৰ লগতে কিছুমান বাতৰিৰো উদ্ধৃতি দিছিলো। সম্ভৱতঃ এনে প্ৰবন্ধবোৰ পঢ়িয়েই যোৱা এপ্ৰিল মাহৰ কোনো এটা দিনত হোমেন বৰগোহাঞিদেৱে মোলৈ এটা ফোন কৰি কোন উৎসৰ পৰা মই মোৰ প্ৰবন্ধত নীলাচলৰ তথ্য ব্যৱহাৰ কৰিছো জানিব বিচাৰিছিল। কথা প্ৰসংগত মই তেওঁক জ্ঞাত কৰিছিলো যে মোৰ সংগ্ৰহত নীলাচলৰ কেইটামান সংখ্যা এতিয়াও আছে। তাৰ কেইদিনমান পিছতেই তেওঁ ফোন কৰি মোক নীলাচলৰ সম্পাদকীয়বোৰ সংগ্ৰহ কৰি সম্পাদনা কৰিব পাৰিমনে সুধিছিল। মোৰ কাৰণে বৰগোহাঞিদেৱৰ এই প্ৰস্তাৱ আছিল অভাৱনীয়। মোৰ মনত প্ৰশ্ন হৈছিল মই এই কামটো সম্পন্ন কৰিব পাৰিমনে? কিন্তু দ্বিধাগ্ৰস্ত হৈও মই প্ৰায় লগে লগেই তেওঁৰ প্ৰস্তাৱটো সসন্মানে গ্ৰহণ কৰিছিলো।

যিকোনো কাৰণতেই সাপ্তাহিক নীলাচলৰ সংখ্যাবোৰ যথাস্থানত সংৰক্ষিত হোৱা নাছিল। সেইবাবেই নীলাচলৰ সংখ্যাবোৰ সংগ্ৰহ কৰাৰ বাবে মই যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। বহুখিনি বিচাৰ-খোচাৰ কৰাৰ পিছত গম পাইছিলো যে মেঘালয় চৰকাৰৰ বিধান পৰিষদৰ পুথিভঁৰাল, শংকৰদেৱ কলাক্ষেত্ৰৰ পুথি-সংগ্ৰহালয় আৰু অসম চৰকাৰৰ বিধান পৰিষদৰ পুথিভঁৰালত নীলাচলৰ কিছু কিছু সংখ্যা সংৰক্ষিত হৈ আছে। বৰ্তমান উপযুক্তভাৱে সংৰক্ষণ কৰি ৰখা শংকৰদেৱ কলাক্ষেত্ৰৰ পুথি-সংগ্ৰহালয়ত থকা পূৰ্বতেই উল্লিখিত যোৱা কিছুসংখ্যক নীলাচলক লৈয়েই মই মোৰ কাম আৰম্ভ কৰিলো। তাৰ পিছত চিলঙলৈ গৈ মেঘালয় চৰকাৰৰ বিধান পৰিষদৰ পুথিভঁৰালৰ পৰা আৰুখিনি নীলাচলৰ সংখ্যা সংগ্ৰহ কৰি আনিছিলো। পিছলৈ অসম চৰকাৰৰ বিধান পৰিষদৰ পুথিভঁৰালৰ পৰাও কিছুসংখ্যক নীলাচল সংগ্ৰহ কৰা হ'ল। এই তিনিওটা উৎসতেই নীলাচলবোৰ ধাৰাবাহিকভাৱে সংগ্ৰহ কৰি ৰখা হোৱা নাছিল। তিনিওটা উৎসৰ পৰা সংগ্ৰহ কৰা নীলাচলৰ সংখ্যাবোৰ মিলাই চাই দেখা গ'ল যে তেতিয়াও আঠাইবোৰ নীলাচলৰ সংখ্যা সংগ্ৰহ হোৱা নাই। নীলাচলৰ বিভিন্ন সংখ্যা পোৱা গ'ল তাৰ পৰা সম্ভৱতে ১৯৬৮ চনৰ পৰা ১৯৭৭ চনলৈকে হোমেন বৰগোহাঞি সম্পাদিত সময়ছোৱাৰ সম্পাদকীয়বোৰৰ যথাসম্ভৱ ধাৰাবাহিকতা ৰখাই ৰাখি এই সংকলনটো প্ৰস্তুত কৰা হ'ল। সম্ভৱ

হ'লে পিছলৈ পৰৱৰ্তীকালৰ নীলাচলৰ সম্পাদকীয়বোৰক সংগ্ৰহ কৰি অন্য এটা সংকলন প্ৰস্তুত কৰাৰ ইচ্ছা আছে। এই ক্ষেত্ৰত এটা কথা উল্লেখযোগ্য যে নীলাচলৰ কেইটামান সংখ্যা বিচাৰি নোপোৱাৰ বাবে আৰু কেইটামান সংখ্যাত সম্পাদকীয় প্ৰবন্ধ প্ৰকাশিত হোৱা নাছিল কাৰণে এই সংকলনটিত প্ৰবন্ধবোৰৰ কালক্ৰম ধৰি ৰাখিব পৰা হোৱা নাই।

নীলাচলৰ সৰহভাগ সংখ্যা উৱলি যোৱা অৱস্থাত উদ্ধাৰ কৰা হৈছে। সেইবোৰৰ ফটোকপি কৰোতেও যান্ত্ৰিক কাৰণত বহুখিনি বিসংগতিয়ে দেখা দিছিল। সেই অসম্পূৰ্ণ আৰু উৱলি যোৱা ফটোকপিবোৰৰ পৰা মূল পাঠ উদ্ধাৰৰ ক্ষেত্ৰত বহুখিনি কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। এইক্ষেত্ৰত বৰপেটাৰ বিশ্বজিৎ সূত্ৰধাৰৰ বিশেষ সহায় লৈ তেওঁৰ দ্বাৰাই ডিটিপিৰ কামখিনি সম্পন্ন কৰা হয়।

গ্ৰন্থ সম্পাদনা কৰাৰ অভিজ্ঞতা মোৰ একেবাৰে নাছিল। কামটো সহজ হ'ব বুলি ভাবিছিলো যদিও পিছলৈ এই কামটো কৰোতে বহুখিনি অসুবিধাৰ সন্মুখীন হওঁ। তথাপিও কামৰ কঠিনতা সাপেক্ষে প্ৰয়োজনতকৈ কম সময়ৰ ভিতৰত পুথিখন প্ৰকাশ কৰিবলগীয়া হয়। সেইবাবেই পুথিখনত কিছু ভুল-ভ্ৰান্তি ৰৈ যোৱাটো স্বাভাৱিক। তাৰ বাবে মই পাঠকসকলৰ ওচৰত ক্ষমা বিচাৰিছো আৰু পাঠকসকলৰ পৰামৰ্শ অনুসাৰে পিছলৈ পুথিখন আৰু অধিক উন্নত ৰূপত সংশোধন কৰাৰ ইচ্ছা মনতে পুহি ৰাখিছো।

শিক্ষকতাৰ ব্যস্ততা আৰু সাংসাৰিক দায়-দায়িত্বৰ মাজত এনে এটা কঠিন কাম কৰোতে মাজে মাজে মই উদ্যম হেৰুৱাই হতাশ হৈ পৰিছিলো। মোৰ সহধৰ্মিনী ঋজুমণি গোস্বামীৰ উৎসাহ আৰু সকলো প্ৰকাৰৰ সহায়ে মোক কামৰ কঠিনতাৰ পৰা তুলি ধৰি নতুন উদ্যমেৰে কামখিনি সম্পন্ন কৰাৰ বাবে প্ৰেৰণা দিছিল। লগতে মোৰ পুত্ৰ শ্ৰীমান প্ৰত্যুষৰাগে (প্ৰাণটো) মোক অতি আদৰেৰে কলমটোৰ পৰা কাগজখনলৈকে আগবঢ়াই দি অহৰহ মোৰ কামত প্ৰেৰণা যোগাইছিল। বিভিন্ন ঠাইৰ পৰা নীলাচলৰ সংখ্যা গোটোৱাত সহায় কৰাৰ কাৰণে শ্ৰীমান মৃদুলকৃষ্ণ গোস্বামী আৰু শ্ৰীমান ভাস্কৰজ্যোতি গোস্বামীলৈ মোৰ স্নেহাশিস্ থাকিল।

সম্পাদনাৰ কামটো বিজ্ঞানসন্মত কৰি তোলাৰ বাবে মোৰ শহুৰ দেউতা শ্ৰীযুত গুৰুকৃষ্ণ গোস্বামীৰ পৰা বিভিন্ন দিশত পৰামৰ্শ পাইছিলো। তাৰ বাবে তেখেতৰ ওচৰত মই কৃতজ্ঞ। বিভিন্ন দিশত পৰামৰ্শৰ লগতে সহায়-সহযোগিতা লাভ কৰাৰ বাবে বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎসৱ চন্দ্ৰ ডেকাৰ লগতে একে মহাবিদ্যালয়ৰ প্ৰবক্তাসকল ক্ৰমে গৌৰিকান্ত বৰ্মন, ফুলৰেণু মিশ্ৰ, ভৱজিৎ বায়ন, কিশোৰ কুমাৰ ডেকা, কামিনীপ্ৰসাদ বৰুৱালৈ মোৰ কৃতজ্ঞতা আগবঢ়ালো।

কিতাপখন প্ৰকাশৰ দায়িত্ব লোৱাৰ বাবে অসমৰ বিশিষ্ট প্ৰকাশন গোষ্ঠী 'ষ্টুডেন্টচ্ ষ্টৰচ্ স্বত্বাধিকাৰী শ্ৰীযুত অজয় দত্তলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

হেৰাই যোৱা অতীতৰ মাজতেই আমাৰ বৰ্তমানৰ ঘাই শিপাডাল পোত গৈ থাকে। আমি আমাৰ ভৱিষ্যতটো চিন্তা কৰিবলৈ অতীতৰ পাঠ লোৱাটোৰ প্ৰয়োজন আছে আৰু সদায় থাকিব। নীলাচলৰ সম্পাদকীয় সংকলন সম্পূৰ্ণ হৈ উঠাত মনত প্ৰশান্তি অনুভৱ কৰিছো আৰু আশা কৰিছো পঢ়ুৱৈ সমাজে ইয়াক আঁকোৱালি ল'ব।

১ ডিচেম্বৰ, ২০১০ — **ৰণজিৎ সত্ৰাপণ্ডিত**

স্বপ্ন-নীড়, জি. চি. লেন, গলিয়াহাটী বৰপেটা — সংকলক আৰু সম্পাদক

ফোন— ৯৪৩৫৩-২১১৩৪

সূচীপত্ৰ

প্ৰবন্ধ	প্ৰকাশৰ চন, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ আমাৰ কথা	সাপ্তাহিক নীলাচল, ১ম সংখ্যা (উপহাৰ সংখ্যা) : ২ অক্টোবৰ, ১৯৬৮	২৩
★ বাৰ্ট্ৰাণ্ড ৰাছেলৰ আত্ম-জীৱনী	সাপ্তাহিক নীলাচল, ১ম সংখ্যা (উপহাৰ সংখ্যা) : ২ অক্টোবৰ, ১৯৬৮	২৬
★ পাছলৈ উভতি যোৱাৰ পথ	সাপ্তাহিক নীলাচল, ৩য় সংখ্যা : ১৬ অক্টোবৰ, ১৯৬৮ চন	৩০
★ নিৰ্বাসিত প্ৰতিভা	সাপ্তাহিক নীলাচল, ৪ৰ্থ সংখ্যা : ২৩ অক্টোবৰ, ১৯৬৮ চন	৩২
★ অসমত বন-বস্তুৰ দাম কেতিয়াবা কমিবনে?	সাপ্তাহিক নীলাচল, ৬ষ্ঠ সংখ্যা : ৬ নৱেম্বৰ, ১৯৬৮ চন	৩৪
★ খাদ্যৰ অভাৱ, মদৰ প্ৰাচুৰ্য্য আৰু বিনা-চিকিৎসাত মৰণৰ প্ৰতীক্ষা	সাপ্তাহিক নীলাচল, ৮ম সংখ্যা : ২০ নৱেম্বৰ, ১৯৬৮ চন	৩৬
★ গুৱাহাটী বিশ্ববিদ্যালয়	সাপ্তাহিক নীলাচল, ৯ম সংখ্যা : ২৭ নৱেম্বৰ, ১৯৬৮ চন	৩৮
★ জ্ঞাননাথ বৰা	সাপ্তাহিক নীলাচল, ১০ম সংখ্যা : ৪ ডিচেম্বৰ, ১৯৬৮ চন	৪২
★ আমি কি কৰিব পাৰোঁ (১)	সাপ্তাহিক নীলাচল, ১১শ সংখ্যা : ১১ ডিচেম্বৰ, ১৯৬৮ চন	৪৪
★ আমি কি কৰিব পাৰোঁ (২)	সাপ্তাহিক নীলাচল, ১২শ সংখ্যা : ১৮ ডিচেম্বৰ, ১৯৬৮ চন	৪৭
★ আমি কি কৰিব পাৰোঁ (৩)	সাপ্তাহিক নীলাচল, ১৩শ সংখ্যা : ২৫ ডিচেম্বৰ, ১৯৬৮ চন	৪৯
★ নতুন বছৰ	সাপ্তাহিক নীলাচল, ১৪শ সংখ্যা : ১ জানুৱাৰী, ১৯৬৯ চন	৫১
★ জনজাতীয় পৰিক্ৰমা দপ্তৰ	সাপ্তাহিক নীলাচল, ১৫শ সংখ্যা : ৮ জানুৱাৰী, ১৯৬৯ চন	[illegible]
★ মহাত্মা গান্ধী শতবাৰ্ষিকী	সাপ্তাহিক নীলাচল, ১৬শ সংখ্যা : ১৫ জানুৱাৰী, ১৯৬৯ চন	৫৬
★ হিন্দী ভাষা আৰু অসম	সাপ্তাহিক নীলাচল, ১৮শ সংখ্যা : ২৯ জানুৱাৰী, ১৯৬৯ চন	৫৮
★ অসম সাহিত্য সভা	সাপ্তাহিক নীলাচল, ১৯শ সংখ্যা : ৫ ফেব্ৰুৱাৰী, ১৯৬৯ চন	৬০
★ অন্তৰ্বৰ্তী নিৰ্বাচনী ঘূৰুত জয়-পৰাজয়ৰ তাৎপৰ্য্য	সাপ্তাহিক নীলাচল, ২১শ সংখ্যা : ১৯ ফেব্ৰুৱাৰী, ১৯৬৯ চন	৬২
★ বিধান সভাৰ চলিত অধিৱেশন	সাপ্তাহিক নীলাচল, ২২শ সংখ্যা : ২৬ ফেব্ৰুৱাৰী, ১৯৬৯ চন	৬৪
★ বিধান সভাৰ চলিত অধিৱেশন	সাপ্তাহিক নীলাচল, ২৩ সংখ্যা : ৫ মাৰ্চ, ১৯৬৯ চন	৬৬
★ সহানুভূতিহীন কেন্দ্ৰীয় চৰকাৰ আৰু শক্তিহীন অসম চৰকাৰ	সাপ্তাহিক নীলাচল, ২৪শ সংখ্যা : ১২ মাৰ্চ, ১৯৬৯ চন	৬৮
★ বিধান সভাৰ চলিত অধিৱেশন	সাপ্তাহিক নীলাচল, ২৫শ সংখ্যা : ১৯ মাৰ্চ, ১৯৬৯ চন	৭১
★ বিধান সভাৰ চলিত অধিৱেশন	সাপ্তাহিক নীলাচল, ২৬ সংখ্যা : ২৬ মাৰ্চ, ১৯৬৯ চন	৭৪
★ পাকিস্তানত বিদ্ৰোহ কেতিয়া হ'ব	সাপ্তাহিক নীলাচল, ২৭শ সংখ্যা : ২ এপ্ৰিল, ১৯৬৯ চন	৭৬
★ বিহুৰ অসম	সাপ্তাহিক নীলাচল, ২৮শ সংখ্যা : ৯ এপ্ৰিল, ১৯৬৯ চন	৭৮

প্ৰবন্ধ	প্ৰকাশৰ চন, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণ	*সাপ্তাহিক নীলাচল, ২৯শ সংখ্যা : ২৩ এপ্ৰিল, ১৯৬৯ চন*	৮০
★ প্ৰগতিৰ প্ৰতীক ৰেলগাড়ী	*সাপ্তাহিক নীলাচল, ৩০শ সংখ্যা : ৩০ এপ্ৰিল, ১৯৬৯ চন*	৮২
★ ডঃ জাকিৰ হুছেইন	*সাপ্তাহিক নীলাচল, ৩১ সংখ্যা : ৭ মে', ১৯৬৯ চন*	৮৪
★ আমবাৰী	*সাপ্তাহিক নীলাচল, ৩২ সংখ্যা : ১৪ মে', ১৯৬৯ চন*	৮৬
★ আবকাৰী বিভাগ উঠাই দিব লাগে	*সাপ্তাহিক নীলাচল, ৩৩ সংখ্যা : ২১ মে', ১৯৬৯ চন*	৮৮
★ নতুন পুৰুষৰ ভৱিষ্যৎ	*সাপ্তাহিক নীলাচল, ৩৪ সংখ্যা : ২৮ মে', ১৯৬৯ চন*	৯০
★ পঞ্চায়ত	*সাপ্তাহিক নীলাচল, ৩৫ সংখ্যা : ৪ জুন, ১৯৬৯ চন*	৯২
★ অসমৰ ঔদ্যোগীকৰণ	*সাপ্তাহিক নীলাচল, ৩৬ সংখ্যা : ১১ জুন, ১৯৬৯ চন*	৯৪
★ খলুৱা আৰু সৰ্বভাৰতীয়	*সাপ্তাহিক নীলাচল, ৩৭ সংখ্যা : ১৮ জুন, ১৯৬৯ চন*	৯৬
★ জুইৰ লগত ধেমালি	*সাপ্তাহিক নীলাচল, ৩৯ সংখ্যা : ২ জুলাই, ১৯৬৯ চন*	৯৮
★ মাটি	*সাপ্তাহিক নীলাচল, ৪০ সংখ্যা : ৯ জুলাই, ১৯৬৯ চন*	১০০
★ পৰিবৰ্তনৰ আহ্বান	*সাপ্তাহিক নীলাচল, ৪১ সংখ্যা : ১৬ জুলাই, ১৯৬৯ চন*	১০২
★ মানুহে চন্দ্ৰত ভৰি দিলে	*সাপ্তাহিক নীলাচল, ৪২ সংখ্যা : ২৩ জুলাই, ১৯৬৯ চন*	১০৫
★ চন্দ্ৰত মানুহৰ সফল অৱতৰণ	*সাপ্তাহিক নীলাচল, ৪২ সংখ্যা : ২৩ জুলাই, ১৯৬৯ চন*	১০৭
★ সত্যাসত্য	*সাপ্তাহিক নীলাচল, ৪৪ সংখ্যা : ৬ আগষ্ট, ১৯৬৯ চন*	১০৮
★ পৰিবৰ্তনৰ ধুমুহা	*সাপ্তাহিক নীলাচল, ৪৫ সংখ্যা : ১৩ আগষ্ট, ১৯৬৯ চন*	১১০
★ চোৰ আৰু কুকুৰ	*সাপ্তাহিক নীলাচল, ৪৬ সংখ্যা : ২০ আগষ্ট, ১৯৬৯ চন*	১১২
★ নতুন ৰাষ্ট্ৰপতি	*সাপ্তাহিক নীলাচল, ৪৭ সংখ্যা : ২৭ আগষ্ট, ১৯৬৯ চন*	১১৪
★ অসমৰ ৰাজধানী	*সাপ্তাহিক নীলাচল, ৪৮ সংখ্যা : ৩ চেপ্তেম্বৰ, ১৯৬৯ চন*	১১৬
★ অসমীয়া ভাষা	*সাপ্তাহিক নীলাচল, ৪৯ সংখ্যা : ১০ চেপ্তেম্বৰ, ১৯৬৯ চন*	১১৮
★ চৰকাৰী সাহায্য-প্ৰাপ্ত কলেজৰ অধ্যক্ষ পদ	*সাপ্তাহিক নীলাচল, ৫০ সংখ্যা : ১৭ চেপ্তেম্বৰ, ১৯৬৯ চন*	১২০
★ তেল শোধনাগাৰৰ ৰাজনীতি আৰু অৰ্থনীতি	*সাপ্তাহিক নীলাচল, ৫১ সংখ্যা : ২৪ চেপ্তেম্বৰ, ১৯৬৯ চন*	১২৩
★ আমাৰ কথা	*সাপ্তাহিক নীলাচল, ৫২ সংখ্যা : ১ অক্টোবৰ, ১৯৬৯ চন*	১২৫
★ হেঁচা আৰু সত্যাগ্ৰহ	*সাপ্তাহিক নীলাচল, ৫৩ সংখ্যা : ৮ অক্টোবৰ, ১৯৬৯ চন*	১২৭
★ দেশৰ অৱস্থা	*সাপ্তাহিক নীলাচল, ৫৪ সংখ্যা : ১৫ অক্টোবৰ, ১৯৬৯ চন*	১২৯
★ সমাজবাদ কাৰ বাবে	*সাপ্তাহিক নীলাচল, ২১ অক্টোবৰ ১৯৬৯ ত প্ৰকাশিত*	১৩১
★ সেউজীয়া আৰু বন্যা	*সাপ্তাহিক নীলাচল, ৫৬ সংখ্যা : ৫ নৱেম্বৰ, ১৯৬৯ চন*	১৩৩
★ কাৰ ভৱিষ্যতৰ কাৰণে	*সাপ্তাহিক নীলাচল, ৫৭ সংখ্যা : ১২ নৱেম্বৰ, ১৯৬৯ চন*	১৩৫
★ পৰিবৰ্তনৰ সূচনা	*সাপ্তাহিক নীলাচল, ৫৮ সংখ্যা : ১৯ নৱেম্বৰ, ১৯৬৯ চন*	১৩৮
★ লেবেল্	*সাপ্তাহিক নীলাচল, ৫৯ সংখ্যা : ২৬ নৱেম্বৰ, ১৯৬৯ চন*	১৪০
★ নতুন কংগ্ৰেছৰ কোষ্ঠী বিচাৰ	*সাপ্তাহিক নীলাচল, ৬০ সংখ্যা : ৩ ডিচেম্বৰ, ১৯৬৯ চন*	১৪২

প্ৰবন্ধ	প্ৰকাশৰ ঠাই, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ আমি হাঁহিবলৈ পাহৰিছোঁ	সাপ্তাহিক নীলাচল, ৬১ সংখ্যা : ১০ ডিচেম্বৰ, ১৯৬৯ চন	১৪৪
★ বোম্বাই আৰু আহমেদাবাদ	সাপ্তাহিক নীলাচল, ৬২ সংখ্যা : ১৭ ডিচেম্বৰ, ১৯৬৯ চন	১৪৬
★ উদ্যোগ-বিভাগৰ প্ৰবঞ্চনা	সাপ্তাহিক নীলাচল, ৬৯ সংখ্যা : ৪ ফেব্ৰুৱাৰী, ১৯৭০	১৪৮
★ অসম সাহিত্য সভা	সাপ্তাহিক নীলাচল, ৭০ সংখ্যা : ১১ ফেব্ৰুৱাৰী, ১৯৭০	১৫১
★ ৰাজনৈতিক দুৰ্নীতিৰ বিচাৰ	সাপ্তাহিক নীলাচল, ৭১ সংখ্যা : ১৮ ফেব্ৰুৱাৰী, ১৯৭০	১৫৩
★ অদ্ভুত যুক্তি	সাপ্তাহিক নীলাচল, ৭২ সংখ্যা : ২৫ ফেব্ৰুৱাৰী, ১৯৭০	১৫৫
★ অসমৰ ত্ৰাণ-কৰ্তা	সাপ্তাহিক নীলাচল, ৭৩ সংখ্যা : ৪ মাৰ্চ, ১৯৭০	১৫৭
★ অসমৰ আনন্দৰ বাজেট	সাপ্তাহিক নীলাচল, ৭৪ সংখ্যা : ১১ মাৰ্চ, ১৯৭০	১৬০
★ 'সড়কাণ্ডনী' আৰু 'খাল আৰু মধ্যৱৰ্তী বিভাগৰ' অকথিত কাহিনী	সাপ্তাহিক নীলাচল ৭৫ সংখ্যা : ১৮ মাৰ্চ, ১৯৭০	১৬২
★ অসমৰ নতুন বাজেট আৰু বাহিৰৰ নতুন আতঙ্ক	সাপ্তাহিক নীলাচল, ৭৬ সংখ্যা : ২৫ মাৰ্চ, ১৯৭০	১৬৫
★ দোষ আৰু শাস্তি	সাপ্তাহিক নীলাচল, ৭৭ সংখ্যা : ১ এপ্ৰিল, ১৯৭০	১৬৭
★ খেতিয়ক আৰু অসম চৰকাৰ : এটি দিশ	সাপ্তাহিক নীলাচল, ৭৯ সংখ্যা : ২২ এপ্ৰিল, ১৯৭০	১৬৯
★ মেজাজৰ দিশ	সাপ্তাহিক নীলাচল, ৮০ সংখ্যা : ২৯ এপ্ৰিল, ১৯৭০	১৭১
★ অসমৰ ৰাজধানী স্থানান্তৰ	সাপ্তাহিক নীলাচল, ৮৫ সংখ্যা : ৩ জুন, ১৯৭০	১৭৩
★ অসমৰ ন-অসমীয়া মুছলমান	সাপ্তাহিক নীলাচল, ৮৬ সংখ্যা : ১০ জুন, ১৯৭০	১৭৬
★ সম্পাদকলৈ চিঠি	সাপ্তাহিক নীলাচল, ৮৮ সংখ্যা : ২৪ জুন, ১৯৭০	১৭৮
★ অসমৰ ভৱিষ্যত	সাপ্তাহিক নীলাচল, ৯০ সংখ্যা : ৮ জুলাই, ১৯৭০	[illegible]
★ বানপানী	সাপ্তাহিক নীলাচল, ৯২ সংখ্যা : ২২ জুলাই, ১৯৭০	১৮৬
★ এটা নিৰ্বোধ চৰকাৰী নীতি	সাপ্তাহিক নীলাচল, ৯৩ সংখ্যা : ২৯ জুলাই, ১৯৭০	১৯০
★ নই যাই ৰেড এলা'ৰ	সাপ্তাহিক নীলাচল, ৯৪ সংখ্যা : ৫ আগষ্ট, ১৯৭০	১৯২
★ তৈলৰ দহৰৰ আগত আৰু পাছত	সাপ্তাহিক নীলাচল, ৯৫ সংখ্যা : ১২ আগষ্ট, ১৯৭০	১৯৪
★ বিপদ-সংকেত	সাপ্তাহিক নীলাচল, ৯৬ সংখ্যা : ১৯ আগষ্ট, ১৯৭০	১৯৬
★ অসমৰ চাহ-মজদুৰ সমাজ	সাপ্তাহিক নীলাচল, ৯৭ সংখ্যা : ২৬ আগষ্ট, ১৯৭০	১৯৮
★ ইন্দিৰা চৰকাৰৰ সাফল্য আৰু ব্যৰ্থতা	সাপ্তাহিক নীলাচল, ৯৯ সংখ্যা : ৯ চেপ্তেম্বৰ, ১৯৭০	২০২
★ চৰকাৰ আৰু জনমত	সাপ্তাহিক নীলাচল, ১০০ সংখ্যা : ১৬ চেপ্তেম্বৰ, ১৯৭০	২০৫
★ ছিণ্ডিকেট আৰু অসম কংগ্ৰেছ	সাপ্তাহিক নীলাচল, ১০১ সংখ্যা : ২৩ চেপ্তেম্বৰ, ১৯৭০	২০৭
★ আমাৰ কথা	সাপ্তাহিক নীলাচল, ১০২ সংখ্যা : ৩০ চেপ্তেম্বৰ, ১৯৭০	২১০
★ অসমৰ আনন্দৰ মন্ত্ৰীসভা	সাপ্তাহিক নীলাচল, ১০৪ সংখ্যা : ১৪ অক্টোবৰ, ১৯৭০	২১২
★ দুৰ্নীতিৰ খবৰ কোনে ৰাখে	সাপ্তাহিক নীলাচল, ১০৬ সংখ্যা : ৪ নৱেম্বৰ, ১৯৭০	২১৬
★ ব্যক্তি আৰু জীৱন মহেন্দ্ৰ মোহন চৌধুৰী	সাপ্তাহিক নীলাচল, ১০৬ সংখ্যা : ৪ নৱেম্বৰ, ১৯৭০	২১৮

প্ৰবন্ধ	প্ৰকাশৰ চন, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ অসমৰ নতুন মন্ত্ৰীসভা	*সাপ্তাহিক নীলাচল*, ১০৭ সংখ্যা : ১১ নৱেম্বৰ, ১৯৭০	২২০
★ ভূগোল আৰু বুৰঞ্জী	*সাপ্তাহিক নীলাচল*, ১০৮ সংখ্যা : ১৮ নৱেম্বৰ, ১৯৭০	২২৩
★ নতুন পুৰুষ	*সাপ্তাহিক নীলাচল*, ১০৯ সংখ্যা : ২৫ নৱেম্বৰ, ১৯৭০	২২৬
★ নিবনুৱা সমস্যা	*সাপ্তাহিক নীলাচল*, ১১১ সংখ্যা : ৯ ডিচেম্বৰ, ১৯৭০	২২৮
★ গ্ৰাম্য বৈদ্যুতিকৰণৰ কাহিনী	*সাপ্তাহিক নীলাচল*, ১১৩ সংখ্যা : ২৩ ডিচেম্বৰ, ১৯৭০	২৩০
★ কপাৰনিকাচ্ আৰু গুৱাহাটী বিশ্ববিদ্যালয়	*সাপ্তাহিক নীলাচল*, ১১৩ সংখ্যা : ২৩ ডিচেম্বৰ, ১৯৭০	২৩২
★ ইন্দিৰা গান্ধীৰ পৰা প্ৰত্যাখ্যান	*সাপ্তাহিক নীলাচল*, ... সংখ্যা : ৩০ ডিচেম্বৰ, ১৯৭০	২৩৪
★ নতুন মহাৰাজা	*সাপ্তাহিক নীলাচল*, ১১৬ সংখ্যা : ১৩ জানুৱাৰী, ১৯৭১	২৩৬
★ গাৰে গা দাঙিব হ'ল	*সাপ্তাহিক নীলাচল*, ১১৭ সংখ্যা : ২৪ জানুৱাৰী, ১৯৭১	২৩৮
★ বিশ্ববিদ্যালয় কেম্পাচত বিদ্ৰোহ	*সাপ্তাহিক নীলাচল*, ১১৮ সংখ্যা : ৩ ফেব্ৰুৱাৰী, ১৯৭১	২৪২
★ শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীৰ মুখ্যমন্ত্ৰীত্বৰ প্ৰথম এশটা দিন	*সাপ্তাহিক নীলাচল*, ১১৯ সংখ্যা : ১০ ফেব্ৰুৱাৰী, ১৯৭১	২৪৬
★ বিপ্লৱৰ বিকল্প	*সাপ্তাহিক নীলাচল*, ১২০ সংখ্যা : ১৭ ফেব্ৰুৱাৰী, ১৯৭১	২৪৮
★ কাক ভোট দিম?	*সাপ্তাহিক নীলাচল* ১২১ সংখ্যা : ২৪ ফেব্ৰুৱাৰী, ১৯৭১	২৫০
★ বিমলাপ্ৰসাদ চলিহা	*সাপ্তাহিক নীলাচল*, ১২২ সংখ্যা : ৩ মাৰ্চ, ১৯৭১	২৫৬
★ অহা পাঁচটা বছৰ	*সাপ্তাহিক নীলাচল*, ১২৪ সংখ্যা : ১৭ মাৰ্চ, ১৯৭১	২৫৮
★ 'বাংলাদেশৰ' স্বাধীনতা-আন্দোলন	*সাপ্তাহিক নীলাচল*, ১২৫ সংখ্যা : ২৪ মাৰ্চ, ১৯৭১	২৬১
★ স্পেইনৰ গৃহযুদ্ধৰ কথা মনত পেলাওক	*সাপ্তাহিক নীলাচল*, ১২৬ সংখ্যা : ৩১ মাৰ্চ, ১৯৭১	২৬৩
★ বাংলাদেশৰ যুদ্ধক্ষেত্ৰলৈ গৈছিলো	*সাপ্তাহিক নীলাচল*, ১২৭ সংখ্যা : ৭ এপ্ৰিল, ১৯৭১	২৬৬
★ যৌৱনৰ উৎসৱ	*সাপ্তাহিক নীলাচল*, ১২৮ সংখ্যা : ১৪ এপ্ৰিল, ১৯৭১	২৭১
★ বাংলাদেশ আৰু আমি	*সাপ্তাহিক নীলাচল*, ১২৯ সংখ্যা : ২৮ এপ্ৰিল, ১৯৭১	২৭১
★ লামডিঙৰ ঘটনা আৰু তাৰ প্ৰতিক্ৰিয়া	*সাপ্তাহিক নীলাচল*, ১৩০ সংখ্যা : ৮ মে', ১৯৭১	২৭৪
★ ৰঙাপুৰ আৰোপত জনুৱা লোকৰ প্ৰতি অবিচাৰ	*সাপ্তাহিক নীলাচল*, ১৩১ সংখ্যা : ১২ মে', ১৯৭১	২৮১
★ অসমৰ বিৰুদ্ধে ষড়যন্ত্ৰ	*সাপ্তাহিক নীলাচল*, ১৩৩ সংখ্যা : ২৬ মে', ১৯৭১	২৮৩
★ কেন্দ্ৰীয় বাজেট	*সাপ্তাহিক নীলাচল*, ১৩৪ সংখ্যা : ২ জুন, ১৯৭১	২৮৬
★ ছাত্ৰ আন্দোলন	*সাপ্তাহিক নীলাচল*, ১৩৫ সংখ্যা : ৯ জুন, ১৯৭১	২৮৮
★ অসম চৰকাৰৰ নতুন উদ্যোগ : চাহ শিল্প	*সাপ্তাহিক নীলাচল*, ১৩৬ সংখ্যা : ১৬ জুন, ১৯৭১	২৯১
★ বতৰৰ গান	*সাপ্তাহিক নীলাচল*, ১৩৭ সংখ্যা : ২৩ জুন, ১৯৭১	২৯৪

প্ৰবন্ধ	প্ৰকাশৰ চন, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ দুখন জাহাজ	সাপ্তাহিক নীলাচল, ১৩৮ সংখ্যা : ৩০ জুন, ১৯৭১	২৯৬
★ ভাষাৰ ব্যৱহাৰ	সাপ্তাহিক নীলাচল, ১৪১ সংখ্যা : ২১ জুলাই, ১৯৭১	২৯৮
★ চাহ-শ্ৰমিকৰ নতুন সমবায় অনুষ্ঠান 'এটেইকন'	সাপ্তাহিক নীলাচল, ১৪২ সংখ্যা : ২৮ জুলাই, ১৯৭১	৩০০
★ উত্তৰ-পূব আঞ্চলিক পৰিষদ	সাপ্তাহিক নীলাচল, ১৪৩ সংখ্যা : ৪ আগষ্ট, ১৯৭১	৩০৪
★ এটা জীৱন-মৰণৰ সমস্যা	সাপ্তাহিক নীলাচল, ১৪৪ সংখ্যা : ১১ আগষ্ট, ১৯৭১	৩০৬
★ ভাৰতৰ বৈদেশিক সম্পৰ্কত এটা নতুন অধ্যায়	সাপ্তাহিক নীলাচল, ১৪৫ সংখ্যা : ১৮ আগষ্ট, ১৯৭১	৩০৯
★ চেৱাৰ আৰু চকাৰৰ কালিকা লগা কাহিনী	সাপ্তাহিক নীলাচল, ১৪৬ সংখ্যা : ২৫ আগষ্ট, ১৯৭১	৩১১
★ এই দুৰ্দশা অসমে আৰু কিমানদিন সহ্য কৰিব?	সাপ্তাহিক নীলাচল, ১৪৭ সংখ্যা : ১ চেপ্তেম্বৰ, ১৯৭১	৩১৩
★ পাঠ্য-পুথি : অৰ্থ আৰু লোভ	সাপ্তাহিক নীলাচল, ১৫০ সংখ্যা : ২২ চেপ্তেম্বৰ, ১৯৭১	৩১৫
★ পোহৰৰজন মানুহ	সাপ্তাহিক নীলাচল, ১৫২ সংখ্যা : ২০ অক্টোবৰ, ১৯৭১	৩১৭
★ মাধ্যমিক শিক্ষা পৰিষদ	সাপ্তাহিক নীলাচল, ১৫৩ সংখ্যা : ২৭ অক্টোবৰ, ১৯৭১	৩১৯
★ অসত্য আৰোপ	সাপ্তাহিক নীলাচল, ১৫৫ সংখ্যা : ১০ নবেম্বৰ, ১৯৭১	৩২২
★ বাংলাদেশৰ স্বাধীনতা সংগ্ৰামৰ শিক্ষা	সাপ্তাহিক নীলাচল, ১৫৬ সংখ্যা : ১৭ নবেম্বৰ, ১৯৭১	৩২৪
★ পদ্মনাথ গোহাঞিবৰুৱা	সাপ্তাহিক নীলাচল, ১৫৭ সংখ্যা : ২৪ নবেম্বৰ, ১৯৭১	৩২৬
★ অগ্নি-পৰীক্ষা	সাপ্তাহিক নীলাচল, ১৫৯ সংখ্যা : ৮ ডিচেম্বৰ, ১৯৭১	[illegible]
★ বাংলাদেশৰ স্বাধীনতা সংগ্ৰাম আৰু সাপ্তাহিক নীলাচল	সাপ্তাহিক নীলাচল, ০০০ সংখ্যা : ১৫ ডিচেম্বৰ, ১৯৭১	৩৩০
★ বাংলাদেশ আৰু ভাৰতবৰ্ষ	সাপ্তাহিক নীলাচল, ১৬১ সংখ্যা : ২২ ডিচেম্বৰ, ১৯৭১	৩৩২
★ আগন্তুক নিৰ্বাচনৰ কাৰণে প্ৰাৰ্থী মনোনয়ন	সাপ্তাহিক নীলাচল, ১৬২ সংখ্যা : ২৯ ডিচেম্বৰ, ১৯৭১	৩৩৫
★ ৰাজনৈতিক দশা	সাপ্তাহিক নীলাচল, ১৬৪ সংখ্যা : ১২ জানুৱাৰী, ১৯৭২	৩৩৮
★ বাংলাদেশৰ স্বাধীনতা-সংগ্ৰামৰ বীৰ নায়ক আৰু ৰাষ্ট্ৰ-পিতা শেখ মুজিবুৰ ৰহমানৰ ঐতিহাসিক স্বদেশ-প্ৰত্যাৱৰ্তন	সাপ্তাহিক নীলাচল, ১৬৪ সংখ্যা : ১২ জানুৱাৰী, ১৯৭২	৩৪১
★ সমবায়-বিভাগৰ চিত্ৰ	সাপ্তাহিক নীলাচল, ১৬৬ সংখ্যা : ১৬ জানুৱাৰী, ১৯৭২	৩৪৩
★ অসমৰ ৰাজনীতিৰ নাটকীয় দৃশ্য-পৰিবৰ্তন	সাপ্তাহিক নীলাচল, ১৬৭ সংখ্যা : ২ ফেব্ৰুৱাৰী, ১৯৭২	৩৪৪
★ অসমৰ নতুন মুখ্যমন্ত্ৰী হিচাবে শৰৎ সিংহৰ কাৰ্যভাৰ গ্ৰহণ	সাপ্তাহিক নীলাচল, ১৬৭ সংখ্যা : ২ ফেব্ৰুৱাৰী, ১৯৭২	৩৪৬

প্ৰবন্ধ	প্ৰকাশৰ স্থল, তাৰিখ, সংখ্যা	পৃষ্ঠা
* নতুন মুখ, নতুন অঙ্গীকাৰ	*সাপ্তাহিক নীলাচল, ১৬৮ সংখ্যা : ৯ ফেব্ৰুৱাৰী, ১৯৭২*	৩৪৭
* উদ্যোগ-পৰ্ব	*সাপ্তাহিক নীলাচল, ১৬৯ সংখ্যা : ১৬ ফেব্ৰুৱাৰী, ১৯৭২*	৩৪৯
* আগন্তুক সাধাৰণ নিৰ্বাচন আৰু বাইজৰ বিচাৰ্য্য বিষয়	*সাপ্তাহিক নীলাচল, ১৭০ সংখ্যা : ২৩ ফেব্ৰুৱাৰী, ১৯৭২*	৩৫১
* বেলট্ এপাট শক্তিশালী অস্ত্ৰ	*সাপ্তাহিক নীলাচল, ১৭১ সংখ্যা : ১ মাৰ্চ, ১৯৭২*	৩৫৬
* পৃথিৱীখন সলনি কৰি দিয়া সপ্তাহটো	*সাপ্তাহিক নীলাচল, ১৭২ সংখ্যা : ৮ মাৰ্চ, ১৯৭২*	৩৫৯
* ভয়ঙ্কৰ প্ৰত্যাহ্বান	*সাপ্তাহিক নীলাচল, ১৭৩ সংখ্যা : ১৫ মাৰ্চ, ১৯৭২*	৩৬১
* বিধান সভাৰ সদস্যসকললৈ এখন মুকলি চিঠি	*সাপ্তাহিক নীলাচল, ১৭৪ সংখ্যা : ২২ মাৰ্চ, ১৯৭২*	৩৬৪
* ভাৰত আৰু বাংলাদেশৰ মাজত মৈত্ৰী চুক্তি	*সাপ্তাহিক নীলাচল, ১৭৫ সংখ্যা : ২৯ মাৰ্চ, ১৯৭২*	৩৬৮
* অসমৰ বাবে নতুন অৰ্থনৈতিক কাৰ্য্যসূচী	*সাপ্তাহিক নীলাচল, ১৭৬ সংখ্যা : ৬ এপ্ৰিল, ১৯৭২*	৩৭০
* অসমৰ নতুন ৰাজধানী সম্পৰ্কে গুণা-গঁথা	*সাপ্তাহিক নীলাচল, ১৭৭ সংখ্যা : ১৩ এপ্ৰিল, ১৯৭২*	৩৭২
* অসমৰ অৰ্থনৈতিক সঙ্কট আৰু চৰকাৰৰ কৰ্তব্য	*সাপ্তাহিক নীলাচল, ১৮১ সংখ্যা : ১০ মে', ১৯৭২*	৩৭৪
* শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ মুখ্য-মন্ত্ৰীত্বৰ প্ৰথম দুটা মাহ	*সাপ্তাহিক নীলাচল, ১৮১ সংখ্যা : ১৭ মে', ১৯৭২*	৩৭৬
* মদ নিবাৰণ	*সাপ্তাহিক নীলাচল, ১৮২ সংখ্যা : ২৪ মে', ১৯৭২*	৩৮০
* মাটিহীনৰ কাৰণে মাটি	*সাপ্তাহিক নীলাচল, ১৮৩ সংখ্যা : ৩১ মে', ১৯৭২*	৩৮২
* অসমৰ ভাষা-সমস্যা	*সাপ্তাহিক নীলাচল, ১৮৪ সংখ্যা : ৭ জুন, ১৯৭২*	৩৮৫
* অসম যুৱক কংগ্ৰেছৰ সময়োপযোগী কাৰ্য্যসূচী	*সাপ্তাহিক নীলাচল, ১৮৫ সংখ্যা : ৪ জুন, ১৯৭২*	৩৮৭
* দুৰ্নীতি-দমন	*সাপ্তাহিক নীলাচল, ১৮৬ সংখ্যা : ২১ জুন, ১৯৭২*	৩৮৯
* প্ৰথম এপটা দিন	*সাপ্তাহিক নীলাচল, ১৮৭ সংখ্যা : ২৮ জুন, ১৯৭২*	৩৯২
* তিনিজন মুখ্যমন্ত্ৰী আৰু এটা অন্তহীন সমস্যা	*সাপ্তাহিক নীলাচল, ১৮৯ সংখ্যা : ১২ জুলাই, ১৯৭২*	৩৯৬
* ভাষাৰ ৰাজনীতি	*সাপ্তাহিক নীলাচল, ১৯১ সংখ্যা : ২৬ জুলাই, ১৯৭২*	৩৯৮
* এহ্ হব্ ৰাজনীতি	*সাপ্তাহিক নীলাচল, ১৯২ সংখ্যা : ২ আগষ্ট, ১৯৭২*	৪০১
* বস্ত্ৰ-বস্তুৰ দাম কেতিয়াবা কমিবনে?	*সাপ্তাহিক নীলাচল, ১৯৩ সংখ্যা : ৯ আগষ্ট, ১৯৭২*	৪০৪
* ৰাজনীতিক আৰু সাংবাদিক	*সাপ্তাহিক নীলাচল, ১৯৭ সংখ্যা : ৬ চেপ্তেম্বৰ, ১৯৭২*	৪০৫
* ভাষা-সমস্যা আৰু অসমৰ ভবিষ্যত	*সাপ্তাহিক নীলাচল, ১৯৯ সংখ্যা : ২০ চেপ্তেম্বৰ, ১৯৭২*	৪০৮

প্ৰবন্ধ	প্ৰকাশৰ চন, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ ভাষা-সমস্যা আৰু অসমৰ ভৱিষ্যত?	*সাপ্তাহিক নীলাচল, ২০০ সংখ্যা : ২৭ ছেপ্তেম্বৰ, ১৯৭২*	৪১১
★ আইনৰ শাসন	*সাপ্তাহিক নীলাচল, ২০১ সংখ্যা : ৪ অক্টোবৰ, ১৯৭২*	৪১৪
★ শিক্ষাৰ মাধ্যম আৰু ভৱিষ্যত অসম	*সাপ্তাহিক নীলাচল, ২০২ সংখ্যা : ১১ অক্টোবৰ, ১৯৭২*	৪১৫
★ ভাষা-সমস্যাৰ স্থায়ী আৰু চূড়ান্ত সমাধান	*সাপ্তাহিক নীলাচল, ২০৩ সংখ্যা : ২৫ অক্টোবৰ, ১৯৭২*	৪১৯
★ ৰাজ্যত চৰকাৰৰ পৰিস্থিতি অব্যাহত আছে	*সাপ্তাহিক নীলাচল, ২০৪ সংখ্যা : ২ নৱেম্বৰ, ১৯৭২*	৪২৫
★ নেপথ্য-কাহিনী	*সাপ্তাহিক নীলাচল, ২০৫ সংখ্যা : ৮ নৱেম্বৰ, ১৯৭২*	৪২৭
★ যোৱা তেৰ মাহৰ ঘটনাৱলী	*সাপ্তাহিক নীলাচল, ২০৬ সংখ্যা : ১৫ নৱেম্বৰ, ১৯৭২*	৪৩১
★ মাধ্যম আন্দোলন সাময়িকভাবে স্থগিত	*সাপ্তাহিক নীলাচল, ২০৬ সংখ্যা : ১৫ নৱেম্বৰ, ১৯৭২*	৪৩৩
★ মন্ত্ৰীসভাৰ পুনৰ্বিন্যাস	*সাপ্তাহিক নীলাচল, ২০৭ সংখ্যা : ২২ নৱেম্বৰ, ১৯৭২*	৪৩৫
★ উৎকৰ্ষৰ সাধনা	*সাপ্তাহিক নীলাচল, ২০৮ সংখ্যা : ২৯ নৱেম্বৰ, ১৯৭২*	৪৩৯
★ 'বেৰাৰ-মূৰ্ত্ ভকত্'	*সাপ্তাহিক নীলাচল, ২০৯ সংখ্যা : ৬ ডিচেম্বৰ, ১৯৭২*	৪৪২
★ শৰৎ সিংহ মন্ত্ৰী-সভাৰ 'দুৰ্নীতি বিৰোধী অগ্নিমূৰ্ত্তি'!	*সাপ্তাহিক নীলাচল, ২০৯ সংখ্যা : ৬ ডিচেম্বৰ, ১৯৭২*	৪৪৪
★ বড়ো বিচ্ছিন্নতাবাদী আন্দোলন	*সাপ্তাহিক নীলাচল, ২১০ সংখ্যা : ১৩ ডিচেম্বৰ, ১৯৭২*	৪৪৬
★ ৰহস্যময় নীৰৱতা	*সাপ্তাহিক নীলাচল, ২১১ সংখ্যা : ২০ ডিচেম্বৰ, ১৯৭২*	৪৫০
★ তিনিটা বছৰ	*সাপ্তাহিক নীলাচল, ২১২ সংখ্যা : ২৭ ডিচেম্বৰ, ১৯৭২*	৪৫৩
★ অতীত-মাধুৰী	*সাপ্তাহিক নীলাচল, ২১৫ সংখ্যা : ১৭ জানুৱাৰী ১৯৭৩*	[illegible]
★ গুৱাহাটী বিশ্ববিদ্যালয় : প্ৰথম পঁচিশটা বছৰ	*সাপ্তাহিক নীলাচল, ২১৬ সংখ্যা : ২৪ জানুৱাৰী ১৯৭৩*	৪৫৯
★ মন্ত্ৰী আৰু সংস্কৃতি	*সাপ্তাহিক নীলাচল, ২১৭ সংখ্যা : ৩১ জানুৱাৰী ১৯৭৩*	৪৬২
★ অসম চৰকাৰৰ কেইটামান নতুন কাৰ্য্য-ব্যৱস্থা	*সাপ্তাহিক নীলাচল, ২১৮ সংখ্যা : ৭ ফেব্ৰুৱাৰী, ১৯৭৩*	৪৬৫
শ্ৰীদেৱকান্ত বৰুৱা	*সাপ্তাহিক নীলাচল, ২১৯ সংখ্যা : ১৪ ফেব্ৰুৱাৰী, ১৯৭৩*	৪৬৮
★ ভাষা-সমস্যা সমাধানৰ কাৰণে দুটিয়া আলোচনা	*সাপ্তাহিক নীলাচল, ২২০ সংখ্যা : ২১ ফেব্ৰুৱাৰী, ১৯৭৩*	৪৭০
★ শ্ৰীশৰৎ চন্দ্ৰ সিংহ	*সাপ্তাহিক নীলাচল, ২২৪ সংখ্যা : ২১ মাৰ্চ, ১৯৭৩*	৪৭৩
★ বালজাকৰ এটা পত্ৰ	*সাপ্তাহিক নীলাচল, ২২৫ সংখ্যা : ২৮ মাৰ্চ, ১৯৭৩ চন*	৪৭৬
★ বন্যা আৰু বন্যা-পালিকা	*সাপ্তাহিক নীলাচল, ২৩১ সংখ্যা : ১৬ মে', ১৯৭৩ চন*	৪৮০
★ তেজাল পদক্ষেপ	*সাপ্তাহিক নীলাচল, ২৩২ সংখ্যা : ২৩ মে', ১৯৭৩ চন*	৪৮৩
★ খাদ্য-শস্যৰ চৰকাৰী ব্যৱসায়	*সাপ্তাহিক নীলাচল, ২৩৩ সংখ্যা : ৩০ মে', ১৯৭৩ চন*	৪৮৭

প্ৰবন্ধ	প্ৰকাশৰ চন, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ বিধান সভাৰ ভূমিকা	*সাপ্তাহিক নীলাচল, ২৩৪ সংখ্যা : ৬ জুন, ১৯৭৩ চন*	৪৮৯
★ দৰ্মহাৰ কথা	*সাপ্তাহিক নীলাচল, ২৩৭ সংখ্যা : ২৭ জুন, ১৯৭৩*	৪৯২
★ সমাজবাদৰ নামত ভণ্ডামী	*সাপ্তাহিক নীলাচল, ২৩৮ সংখ্যা : ৪ জুলাই, ১৯৭৩ চন*	৪৯৫
★ অসম ৰাজ্যিক ৰাজনৈতিক সন্মিলন	*সাপ্তাহিক নীলাচল, ২৪০ সংখ্যা : ১৮ জুলাই, ১৯৭৩ চন*	৪৯৮
★ ছাত্ৰৰ লগত যুদ্ধ	*সাপ্তাহিক নীলাচল, ২৪২ সংখ্যা : ২২ আগষ্ট, ১৯৭৩ চন*	৫০১
★ অসম চৰকাৰৰ যান্ত্ৰিক দৃষ্টিভংগী	*সাপ্তাহিক নীলাচল, ২৪৬ সংখ্যা : ১৯ চেপ্তেম্বৰ, ১৯৭৩ চন*	৫০৪
★ স্থিতাৱস্থাৰ অৱসান : পৰিবৰ্তনৰ সূচনা	*সাপ্তাহিক নীলাচল, ২৫২ সংখ্যা : ৭ নবেম্বৰ, ১৯৭৩ চন*	৫০৭
★ পেট্ৰলিয়াম সভ্যতা	*সাপ্তাহিক নীলাচল, ২৫৩ সংখ্যা : ১৪ নভেম্বৰ, ১৯৭৩*	৫১০
★ ১৯৯০ চনৰ ভাৰত	*সাপ্তাহিক নীলাচল, ২৫৬ সংখ্যা : ৫ ডিচেম্বৰ, ১৯৭৩*	৫১২
★ 'অনাস্থা প্ৰস্তাৱ	*সাপ্তাহিক নীলাচল, ২৫৭ সংখ্যা : ১২ ডিচেম্বৰ, ১৯৭৩*	৫১৫
★ প্ৰধান মন্ত্ৰীলৈ এখন মুকলি চিঠি	*সাপ্তাহিক নীলাচল, ২৫৯ সংখ্যা : ২৬ ডিচেম্বৰ, ১৯৭৩*	৫১৭
★ স্বাধীনতাৰ শৃংখল	*সাপ্তাহিক নীলাচল, ২৬৪ সংখ্যা : ৩০ জানুৱাৰী, ১৯৭৪ চন*	৫২০
★ গুৱাহাটী পৌৰ নিৰ্বাচনৰ শিক্ষা	*সাপ্তাহিক নীলাচল, ২৬৫ সংখ্যা : ৬ ফেব্ৰুৱাৰী, ১৯৭৪ চন*	৫২২
★ গুৱাহাটীলৈ ব্ৰড্-গেজ ৰেল-পথ নাহে	*সাপ্তাহিক নীলাচল, ২৬৬ সংখ্যা : ১৩ ফেব্ৰুৱাৰী, ১৯৭৪ চন*	৫২৫
★ মুখ্য-মন্ত্ৰীৰ উত্তৰ	*সাপ্তাহিক নীলাচল, ২৬৭ সংখ্যা : ২০ ফেব্ৰুৱাৰী, ১৯৭৪ চন*	৫২৭
★ চিন্তাজগত-১	*সাপ্তাহিক নীলাচল, ২৬৮ সংখ্যা : ২৭ ফেব্ৰুৱাৰী, ১৯৭৪ চন*	৫৩০
★ কাছাৰৰ সমাচাৰ	*সাপ্তাহিক নীলাচল, ২৬৯ সংখ্যা : ৬ মাৰ্চ, ১৯৭৪ চন*	৫৩১
★ দেশৰ ছবি	*সাপ্তাহিক নীলাচল, ২৭০ সংখ্যা : ১৩ মাৰ্চ, ১৯৭৪ চন*	৫৩৪
★ চৰকাৰৰ দুৰ্নীতি বিৰোধী অভিযান	*সাপ্তাহিক নীলাচল, ২৭১ সংখ্যা : ২০ মাৰ্চ, ১৯৭৪ চন*	৫৩৭
★ শক্তিকামী মন্ত্ৰীয়ে সম্পূৰ্ণ সত্য কথা কৈছেনে?	*সাপ্তাহিক নীলাচল, ২৭২ সংখ্যা : ২৭ মাৰ্চ, ১৯৭৪ চন*	৫৩৯
★ চিন্তাজগত-২	*সাপ্তাহিক নীলাচল, ২৭৩ সংখ্যা : ৩ এপ্ৰিল, ১৯৭৪ চন*	৫৪১
★ অন্তৰ কোন— শাসক নে অনুশাসক	*সাপ্তাহিক নীলাচল, ২৭৪ সংখ্যা : ১০ এপ্ৰিল, ১৯৭৪ চন*	৫৪৩
★ অসম মন্ত্ৰীসভাৰ সাল-সলনি	*সাপ্তাহিক নীলাচল, ২৭৫ সংখ্যা : ২৪ এপ্ৰিল, ১৯৭৪ চন*	৫৪৬
★ অসমৰ সাম্প্ৰতিক খাদ্য-সংকটৰ কাৰণে চৰকাৰ প্ৰত্যক্ষভাৱে দায়ী	*সাপ্তাহিক নীলাচল, ২৭৬ সংখ্যা : ১ মে', ১৯৭৪ চন*	৫৪৯
★ মজুত-উদ্ধাৰ	*সাপ্তাহিক নীলাচল, ২৭৭ সংখ্যা : ৮ মে', ১৯৭৪ চন*	৫৫১
★ অবাস্তৱ। অবাস্তৱ।।	*সাপ্তাহিক নীলাচল, ২৭৯ সংখ্যা : ২২ মে', ১৯৭৪ চন*	৫৫৩
★ পিতনিত পৰা নিহে	*সাপ্তাহিক নীলাচল, ২৮০ সংখ্যা : ৫ জুন, ১৯৭৪ চন*	

প্ৰবন্ধ	প্ৰকাশৰ স্থান, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ মন্ত্ৰবহ্নল	*সাপ্তাহিক নীলাচল*, ২৮১ সংখ্যা : ১২ জুন, ১৯৭৪ চন	৫৫৮
★ পঞ্চায়ত আৰু ক্ষমতাৰ ৰাজনীতি	*সাপ্তাহিক নীলাচল*, ২৮৩ সংখ্যা : ১৯ জুন, ১৯৭৪ চন	৫৫৯
★ নৈতিক কাপুৰুষতা	*সাপ্তাহিক নীলাচল*, ২৮৬ সংখ্যা : ১০ জুলাই, ১৯৭৪ চন	৫৬০
★ অসম প্ৰদেশ কংগ্ৰেছৰ অধিৱেশন : ষড়যন্ত্ৰ লঘু-ক্ৰিয়া	*সাপ্তাহিক নীলাচল*, ২৮৭ সংখ্যা : ১৭ জুলাই, ১৯৭৪ চন	৫৬৪
★ চৰকাৰ আৰু বিশ্ব-বিদ্যালয়	*সাপ্তাহিক নীলাচল*, ২৮৮ সংখ্যা : ২৪ জুলাই, ১৯৭৪ চন	৫৬৭
★ বিশ্ববিদ্যালয়ৰ ঘটনাক কেন্দ্ৰ কৰি চৰকাৰৰ মাজত প্ৰচণ্ড মত-ভেদ	*সাপ্তাহিক নীলাচল*, ২৮৯ সংখ্যা : ৩১ জুলাই, ১৯৭৪ চন	৫৬৯
★ বিপদৰ বন্ধু	*সাপ্তাহিক নীলাচল*, ২৯০ সংখ্যা : ৭ আগষ্ট, ১৯৭৪ চন	৫৭১
★ স্বাধীনতা-দিৱস কোনে পালন কৰিব?	*সাপ্তাহিক নীলাচল*, ২৯১ সংখ্যা : ১৪ আগষ্ট, ১৯৭৪ চন	৫৭২
★ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিদ্ৰোহ	*সাপ্তাহিক নীলাচল*, ২৯২ সংখ্যা : ২১ আগষ্ট, ১৯৭৪ চন	৫৭৪
★ মুখ্যমন্ত্ৰীৰ অগ্নি-পৰীক্ষা	*সাপ্তাহিক নীলাচল*, ২৯৩ সংখ্যা : ২৮ আগষ্ট, ১৯৭৪ চন	৫৭৭
★ মুখ্যমন্ত্ৰী আৰু অসম কংগ্ৰেছ	*সাপ্তাহিক নীলাচল*, ২৯৪ সংখ্যা : ৪ চেপ্তেম্বৰ, ১৯৭৪ চন	৫৭৯
★ বিবেকৰ পৰীক্ষা	*সাপ্তাহিক নীলাচল*, ২৯৫ সংখ্যা : ১১ চেপ্তেম্বৰ, ১৯৭৪ চন	৫৮১
★ মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি	*সাপ্তাহিক নীলাচল*, ২৯৬ সংখ্যা : ১৮ চেপ্তেম্বৰ, ১৯৭৪ চন	৫৮৩
★ হাম্মিদা খাতুনলৈ এখন চিঠি	*সাপ্তাহিক নীলাচল*, ২৯৭ সংখ্যা : ২৫ চেপ্তেম্বৰ, ১৯৭৪ চন	৫৮৫
★ চৰিত্ৰ-হনন?	*সাপ্তাহিক নীলাচল*, ২৯৮ সংখ্যা : ২ অক্টোবৰ, ১৯৭৪ চন	৫৮৯
★ ৰাতৰি কাকত নপঢ়িবা	*সাপ্তাহিক নীলাচল*, ২৯৯ সংখ্যা : ৯ অক্টোবৰ, ১৯৭৪ চন	৫৯২
★ অসমৰ দুৰ্ভিক্ষ-পীড়িত ৰাইজলৈ শ্ৰীশৰৎ সিংহৰ ঈদ আৰু পূজাৰ উপহাৰ	*সাপ্তাহিক নীলাচল*, ৩০০ সংখ্যা : ১৬ অক্টোবৰ, ১৯৭৪ চন	৫৯৫
★ অসমৰ নতুন মন্ত্ৰী-সভা : এটি বিশ্লেষণ	*সাপ্তাহিক নীলাচল*, ৩০১ সংখ্যা : ২৩ অক্টোবৰ, ১৯৭৪ চন	৫৯৭
★ যি গল্পৰ শেষ নাই	*সাপ্তাহিক নীলাচল*, ৩০২ সংখ্যা : ৬ নবেম্বৰ, ১৯৭৪ চন	৬০১
★ ৰোমান লিপি নে অসমীয়া লিপি?	*সাপ্তাহিক নীলাচল*, ৩০৩ সংখ্যা : ১৩ নবেম্বৰ, ১৯৭৪ চন	৬০৪
★ অসমৰ ৰাজনৈতিক মঞ্চৰ এতিয়াও অন্ধকাল নহয়	*সাপ্তাহিক নীলাচল*, ৩০৪ সংখ্যা : ২০ নবেম্বৰ, ১৯৭৪ চন	৬০৮
★ বড়োসকলৰ ৰোমান-লিপি আন্দোলনৰ ৰাজনৈতিক তাৎপৰ্য্য	*সাপ্তাহিক নীলাচল*, ৩০৫ সংখ্যা : ২৭ নবেম্বৰ, ১৯৭৪ চন	৬১১
★ বিদেশী ষড়যন্ত্ৰ আৰু উত্তৰ-পূব ভাৰত	*সাপ্তাহিক নীলাচল*, ৩০৬ সংখ্যা : ৪ ডিচেম্বৰ, ১৯৭৪ চন	৬১৫
★ সমষ্টি-নিৰ্দ্ধাৰণৰ ৰাজনীতি	*সাপ্তাহিক নীলাচল*, ৩০৭ সংখ্যা : ১১ ডিচেম্বৰ, ১৯৭৪ চন	৬১৮

প্ৰবন্ধ	প্ৰকাশৰ চন, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ ন্যস্ত-স্বাৰ্থ	সাপ্তাহিক নীলাচল, ৩০৮ সংখ্যা : ৮ জানুৱাৰী, ১৯৭৫ চন	৬২০
★ মৰীচিকা	সাপ্তাহিক নীলাচল, ৩১২ সংখ্যা : ১৫ জানুৱাৰী, ১৯৭৫ চন	৬২২
★ অসমৰ ৰক্ত শোষণ কৰাৰ ষড়যন্ত্ৰ	সাপ্তাহিক নীলাচল, ৩১৩ সংখ্যা : ২২ জানুৱাৰী, ১৯৭৫ চন	৬২৫
★ ৰাইজ আৰু চৰকাৰ	সাপ্তাহিক নীলাচল, ৩১৬ সংখ্যা : ১২ ফেব্ৰুৱাৰী, ১৯৭৫ চন	৬২৭
★ ডাকতীয় ভণ্ডামী	সাপ্তাহিক নীলাচল, ৩১৭ সংখ্যা : ১৯ ফেব্ৰুৱাৰী, ১৯৭৫ চন	৬২৯
★ বৰপেটাত কংগ্ৰেছৰ পৰাজয়?	সাপ্তাহিক নীলাচল, ৩১৮ সংখ্যা : ২৬ ফেব্ৰুৱাৰী, ১৯৭৫ চন	৬৩২
★ চাউলৰ কাহিনী	সাপ্তাহিক নীলাচল, ৩২৭ সংখ্যা : ৭ মে', ১৯৭৫ চন	৬৩৫
★ গুৱাহাটী পৌৰ নিগম আৰু অসম চৰকাৰ	সাপ্তাহিক নীলাচল, ৩২৮ সংখ্যা : ১৪ মে', ১৯৭৫ চন	৬৩৭
★ ক্ষুধাৰ সীমান্ত নাই	সাপ্তাহিক নীলাচল, ৩২৯ সংখ্যা : ২১ মে', ১৯৭৫ চন	৬৪০
★ কলেজ শিক্ষকৰ আন্দোলন আৰু অসম চৰকাৰ	সাপ্তাহিক নীলাচল, ৩৩১ সংখ্যা : ৪ জুন, ১৯৭৫ চন	৬৪২
★ কথা হাঁহক পতান থান	সাপ্তাহিক নীলাচল, ৩৩২ সংখ্যা : ১১ জুন, ১৯৭৫ চন	৬৪৪
★ ইন্দিৰা গান্ধীৰ "ধৰ্ম-সংকট"	সাপ্তাহিক নীলাচল, ৩৩৩ সংখ্যা : ১৪ জুন, ১৯৭৫ চন	৬৪৬
★ ইতিহাস চেতনা	সাপ্তাহিক নীলাচল, ৩৩৪ সংখ্যা : ২৫ জুন, ১৯৭৫ চন	৬৪৯
★ আঁদ্ৰে মালৰোৰ দৃষ্টিত জৱাহৰলাল নেহৰু	সাপ্তাহিক নীলাচল, ৩৩৫ সংখ্যা : ২ জুলাই, ১৯৭৫ চন	৬৫১
★ তত্ত্ব তাৰা	সাপ্তাহিক নীলাচল, ৩৩৬ সংখ্যা : ৯ জুলাই, ১৯৭৫ চন	৬৫৩
★ জৰুৰী অৱস্থাৰ প্ৰত্যাহ্বান	সাপ্তাহিক নীলাচল, ৩৩৭ সংখ্যা : ১৬ জুলাই, ১৯৭৫ চন	৬৫৫
★ আমি যি বিচাৰিছিলোঁ	সাপ্তাহিক নীলাচল, ৩৪০ সংখ্যা : ৬ আগষ্ট, ১৯৭৫ চন	৬৫৬
★ আৰ্ণল্ড টয়নবী	সাপ্তাহিক নীলাচল, ৩৪১ সংখ্যা : ১৩ আগষ্ট, ১৯৭৫ চন	৬৫৭
★ কিতাপৰ দোকানত	সাপ্তাহিক নীলাচল, ৩৪২ সংখ্যা : ২০ আগষ্ট, ১৯৭৫ চন	৬৫৯
★ শিক্ষানুষ্ঠানত শৃংখলা	সাপ্তাহিক নীলাচল, ৩৪৩ সংখ্যা : ২৭ আগষ্ট, ১৯৭৫ চন	৬৬২
★ দুৰ্নীতি-মুক্ত সমাজ	সাপ্তাহিক নীলাচল, ৩৪৪ সংখ্যা : ৩ চেপ্তেম্বৰ, ১৯৭৫ চন	৬৬৪
★ ভুল আৰাত শুদ্ধ উত্তৰ	সাপ্তাহিক নীলাচল, ৩৪৫ সংখ্যা : ১০ চেপ্তেম্বৰ, ১৯৭৫ চন	৬৬৬
★ ৰাজহুৱা অসন্তোষ	সাপ্তাহিক নীলাচল, ৩৪৬ সংখ্যা : ২১ চেপ্তেম্বৰ, ১৯৭৫ চন	৬৬৮
★ মাটি যদি সম্পত্তি নহয়	সাপ্তাহিক নীলাচল, ৩৪৮ সংখ্যা : ১ অক্টোবৰ, ১৯৭৫ চন	৬৬৯
★ পণ্ডিতসকল শিক্ষিত হৈছে নেকি?	সাপ্তাহিক নীলাচল, ৩৫১ সংখ্যা : ২৯ অক্টোবৰ, ১৯৭৫ চন	৬৭১
★ জীৱনী সাহিত্যৰ প্ৰসংগত	সাপ্তাহিক নীলাচল, ৩৫২ সংখ্যা : ৫ নৱেম্বৰ, ১৯৭৫ চন	৬৭২
★ কম্-পাৰ্ট	সাপ্তাহিক নীলাচল, ৩৫৩ সংখ্যা : ১২ নৱেম্বৰ, ১৯৭৫ চন	৬৭৫
★ যতিপুৰৰ গুৱাহাটী	সাপ্তাহিক নীলাচল, ৩৫৬ সংখ্যা : ৩ ডিচেম্বৰ, ১৯৭৫ চন	৬৭৮
★ মহাত্মাৰ ধৰ্ম-চেতনা	সাপ্তাহিক নীলাচল, ৩৫৭ সংখ্যা : ১০ ডিচেম্বৰ, ১৯৭৫ চন	৬৭৯

প্রবন্ধ	প্রকাশের সন, তারিখ, সংখ্যা	পৃষ্ঠা
★ মুক্ত ভিয়েতনাম	সাপ্তাহিক নীলাচল, ৩৫৮ সংখ্যা : ১৭ ডিসেম্বর, ১৯৭৫ সন	৬৮২
★ "গঠনমূলক সমালোচনা"	সাপ্তাহিক নীলাচল, ৩৫৯ সংখ্যা : ২৪ ডিসেম্বর, ১৯৭৫ সন	৬৮৪
★ মন্ত্রীর সৈন্যে তীর্থযাত্রা	সাপ্তাহিক নীলাচল, ৩৬০ সংখ্যা : ৩১ ডিসেম্বর, ১৯৭৫ সন	৬৮৬
★ সেকালেও পোষা কবি রাখার প্রয়োজন	সাপ্তাহিক নীলাচল, ৩৬২ সংখ্যা : ১৭ জানুয়ারী, ১৯৭৬ সন	৬৮৮
★ নেপোলিয়ন আর মাতায় যা চৌন	সাপ্তাহিক নীলাচল, ৩৬২ সংখ্যা : ৭ ফেব্রুয়ারী, ১৯৭৬ সন	৬৯০
★ চৈতিনা 'ইঙ্গিত'র রাজন জীবন : জর্জ লুই বর্খেস	সাপ্তাহিক নীলাচল, ৩৭৭ সংখ্যা : ৫ মে', ১৯৭৬ সন	৬৯২
★ যা আছে নিয়ে পার, যার নাই তার নাই	সাপ্তাহিক নীলাচল, ৩৭৯ সংখ্যা : ১৯ মে', ১৯৭৬ সন	৬৯৫
★ সর্বভারতীয় বিরোধী দল গঠনের প্রয়াস	সাপ্তাহিক নীলাচল, ৩৮০ সংখ্যা : ২৬ মে', ১৯৭৬ সন	৬৯৭
★ সু-শাসন	সাপ্তাহিক নীলাচল, ৩৮২ সংখ্যা : ৯ জুন, ১৯৭৬ সন	৬৯৯
★ সামন্তবাদের বিদায়	সাপ্তাহিক নীলাচল, ৩৮৫ সংখ্যা : ৩০ জুন, ১৯৭৬ সন	৭০০
★ মিত্রতা কী মাত্রা	সাপ্তাহিক নীলাচল, ৩৮[illegible] সংখ্যা : ১৪ জুলাই, ১৯৭৬ সন	৭০১
★ খেলা আর রাজনীতি	সাপ্তাহিক নীলাচল, ৩৮৮ সংখ্যা : ২১ জুলাই, ১৯৭৬ সন	৭০৩
★ ভূমিকম্প	সাপ্তাহিক নীলাচল, ৩৯১ সংখ্যা : ১১ আগষ্ট, ১৯৭৬ সন	৭০৫
★ ধর্মের ব্যবসায়	সাপ্তাহিক নীলাচল, ৩৯২ সংখ্যা : ১৮ আগষ্ট, ১৯৭৬ সন	৭০৭
★ মাও সে-তুঙ	সাপ্তাহিক নীলাচল, ৩৯৬ সংখ্যা : ১৫ সেপ্টেম্বর, ১৯৭৬ সন	৭১১
★ নবম বছরের দুয়ার-প্রান্তে	সাপ্তাহিক নীলাচল, ৩৯৮ সংখ্যা : ২৯ সেপ্টেম্বর, ১৯৭৬ সন	৭১৩
★ বৈজ্ঞানিক দৃষ্টিভঙ্গী	সাপ্তাহিক নীলাচল, ৩৯৯ সংখ্যা : ১৩ অক্টোবর, ১৯৭৬ সন	৭'
★ জবাহর নগরের উৎসবমুখর পরিবেশ	সাপ্তাহিক নীলাচল, ৪০০ সংখ্যা : ২০ অক্টোবর, ১৯৭৬ সন	৭২০
★ পুনরায়	সাপ্তাহিক নীলাচল, ৪০৩ সংখ্যা : ১০ নবেম্বর, ১৯৭৬ সন	৭২২
★ গণতন্ত্রের সর্বশ্রেষ্ঠ সম্পদ : আলোচনার সার্বভৌমত্ব	সাপ্তাহিক নীলাচল, ৪০৪ সংখ্যা : ১৭ নবেম্বর, ১৯৭৬ সন	৭২৫
★ মঞ্চ আর নেপথ্য	সাপ্তাহিক নীলাচল, ৪০৯ সংখ্যা : ২২ ডিসেম্বর, ১৯৭৬ সন	৭২৭
★ বিরোধী দলগুলোর ভূমিকা	সাপ্তাহিক নীলাচল, ৪১০ সংখ্যা : ২৯ ডিসেম্বর, ১৯৭৬ সন	৭২৮
★ নির্বাচন সম্পর্কে তথ্য-কথা	সাপ্তাহিক নীলাচল, ৪১২ সংখ্যা : ১২ জানুয়ারী, ১৯৭৭ সন	৭৩০
★ একটা অন্যায়ের সামরণি	সাপ্তাহিক নীলাচল, ৪১৪ সংখ্যা : ২৬ জানুয়ারী, ১৯৭৭ সন	৭৩২
★ সাহিত্য আর রাষ্ট্রীয় পৃষ্ঠপোষকতা	সাপ্তাহিক নীলাচল, ৪১৫ সংখ্যা : ২ ফেব্রুয়ারী, ১৯৭৭ সন	৭৩৪
★ ফখরুদ্দিন আলি আহমেদ	সাপ্তাহিক নীলাচল, ৪১৭ সংখ্যা : ১৬ ফেব্রুয়ারী, ১৯৭৭ সন	৭৩৬
★ যি নির্বাচনে বহু বহুদলীয় দেশের ভবিষ্যত নির্ধারণ করিব	সাপ্তাহিক নীলাচল, ৪২০ সংখ্যা : ৯ মার্চ, ১৯৭৭ সন	৭৩৭
★ গণতন্ত্রের সপক্ষে বিভিন্ন জন-বাণী	সাপ্তাহিক নীলাচল, ৪২১ সংখ্যা : ১৬ মার্চ, ১৯৭৭ সন	৭৪২
★ একটা নতুন ভয়	সাপ্তাহিক নীলাচল, ৪২৭ সংখ্যা : ৪ মে', ১৯৭৭ সন	৭৪৫

প্ৰবন্ধ	প্ৰকাশৰ চন, তাৰিখ, সংখ্যা	পৃষ্ঠা
★ কংগ্ৰেছৰ ভৱিষ্যত	*সাপ্তাহিক নীলাচল, ৪২৯ সংখ্যা : ১৮ মে', ১৯৭৭ চন*	৭৪৬
★ অ'. বি. চি.	*সাপ্তাহিক নীলাচল, ৪৩৩ সংখ্যা : ১৫ জুন, ১৯৭৭ চন*	৭৫১
★ কম্পিউটাৰ কেলেংকাৰী	*সাপ্তাহিক নীলাচল, ৪৩৭ সংখ্যা : ১৩ জুলাই, ১৯৭৭ চন*	৭৬১
★ আশাভংগৰ সূচনা	*সাপ্তাহিক নীলাচল, ৪৪১ সংখ্যা : ১০ আগষ্ট, ১৯৭৭ চন*	৭৬৩
★ বৰ্তমান অসমত নেতৃত্বৰ সংকট	*সাপ্তাহিক নীলাচল, ৪৪৪ সংখ্যা : ৩১ আগষ্ট, ১৯৭৭ চন*	৭৬৫

পৰিশিষ্ট ৭৬৯-৭৮৩

★ হোমেন বৰগোহাঞিয়ে ২৬ মাৰ্চ, ১৯৬৯ ইং তাৰিখে সাপ্তাহিক নীলাচলত অসমৰ তদানিন্তন উদ্যোগ মন্ত্ৰীলৈ লিখা চিঠি : অসমৰ উদ্যোগ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মালৈ

★ ১৫ ডিচেম্বৰ, ১৯৭১ ইং তাৰিখে সাপ্তাহিক নীলাচলত প্ৰকাশিত তদানিন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ অনাতাঁৰ ভাষণৰ পাঠ : প্ৰধানমন্ত্ৰীৰ অনাতাঁৰ ভাষণ

★ হোমেন বৰগোহাঞিয়ে ২ ফেব্ৰুৱাৰী, ১৯৭২ ইং তাৰিখে সাপ্তাহিক নীলাচলত লিখা নিবন্ধ : শ্ৰীশৰৎ চন্দ্ৰ সিংহ

★ অসমৰ তদানিন্তন গৃহ, স্বাস্থ্য আৰু শিক্ষা দপ্তৰৰ বাজ্যিক মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই ১৫ আগষ্ট, ১৯৭২ ইং তাৰিখে সাপ্তাহিক নীলাচলৰ সম্পাদকলৈ লিখা চিঠি : সাপ্তাহিক নীলাচলৰ সম্পাদকলৈ এখন মুকলি চিঠি

★ হোমেন বৰগোহাঞিয়ে ৫ নবেম্বৰ, ১৯৭৫ ইং তাৰিখে সাপ্তাহিক নীলাচলত লিখা নিবন্ধ : নাচিতৰ মূৰ্ত্তি

সাপ্তাহিক নীলাচলৰ সম্পাদকীয়

আৰু বিবিধ বিষয়ৰ অন্যান্য প্ৰবন্ধ

১৯৬৮–১৯৭৭

আমাৰ কথা

অসমৰ সমূহ ৰাইজলৈ আমি এখন নতুন সংবাদ-পত্ৰিকা আগবঢ়াইছোঁ। ভাৰতৰ অন্যান্য ভাষাৰ তুলনাত অসমীয়া ভাষাত বাতৰি কাকত আৰু আলোচনী আদিৰ সংখ্যা ইমান কম যে আন একো কাৰণে নহ'লেও কেৱল এটা কাৰণেই এখন নতুন অসমীয়া কাকতৰ জন্ম-বাৰ্তাক সকলোৱে ওলগ জনাব বুলি আমি আশা কৰিছোঁ। গণতান্ত্ৰিক জীৱন-পদ্ধতি সাৰ্থক কৰি তুলিবলৈ হ'লে যথেষ্ট সংখ্যক বাতৰি কাকতৰ একান্ত প্ৰয়োজন, কাৰণ একমাত্ৰ বাতৰি কাকতৰ যোগেদিহে ৰাষ্ট্ৰৰ জনসাধাৰণে সকলো বিষয়ৰ ওপৰতে অন্তহীন গণতান্ত্ৰিক বিতৰ্ক আৰু আলোচনাত অংশ গ্ৰহণ কৰিব পাৰে, আৰু চৰকাৰৰ লগতো সততে সম্পৰ্ক ৰক্ষা কৰি চলিব পাৰে। অসমৰ বৰ্তমান জনসংখ্যালৈ চাই অসমীয়া ভাষাত বাতৰি কাকত আৰু আলোচনীৰ সংখ্যা ইমান কম যে ৰাইজৰ মঙ্গলকামী কোনো মানুহেই এই বিষয়ে চিন্তিত নোহোৱাকৈ থাকিব নোৱাৰে; কাৰণ বাতৰি কাকতৰ প্ৰতি আগ্ৰহৰ অভাৱে একপ্ৰকাৰে চাবলৈ গ'লে সামাজিক চেতনাৰে অভাৱ আৰু এই সামাজিক চেতনাৰ অবিহনে কোনো মানুহেই নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। অসমৰ প্ৰতিজন নাগৰিকেই এই কথা উপলব্ধি কৰিবলৈ চেষ্টা কৰা উচিত যে সকলো ক্ষেত্ৰতে এই ৰাজ্যৰ শোচনীয় অনগ্ৰসৰতাৰ অন্যতম এই কাৰণ হ'ল যথেষ্ট সংখ্যক শক্তিশালী বাতৰি কাকতৰ অভাৱ, কাৰণ গণতান্ত্ৰিক সমাজ-ব্যৱস্থাত জনসাধাৰণৰ সমাজৰ প্ৰাপ্য সা-সুবিধা আদায় কৰাৰ একমাত্ৰ অস্ত্ৰ হ'ল সু-সংগঠিত ৰাজহুৱা মত, আৰু এই ৰাজহুৱা মত সংগঠিত কৰি তুলিব পাৰে কেৱল মাত্ৰ স্বাধীন মতাবলম্বী শক্তিশালী বাতৰি কাকতেহে।

গতিকে, অৱস্থা সকলো প্ৰকাৰে প্ৰতিকূল বুলি জানিও আমি এখন নতুন সংবাদ-পত্ৰিকা উলিয়াবলৈ মনস্থ কৰিলোঁ কেৱল এই বিশ্বাসত যে অসমৰ ৰাইজৰ সুৰক্ষাৰ কাৰণে এনে এখন কাকতৰ একান্ত প্ৰয়োজন হৈছে। আমি শক্তি আহৰণ কৰিছোঁ কেৱল অন্তৰৰ গভীৰ বিশ্বাসৰ পৰা যে, আমি যদি ত্যাগ আৰু সেৱাৰ মনোভাবেৰে নিজৰ কৰ্তব্যত ব্ৰতী হওঁ, আৰু কোনো অৱস্থাতেই নিজৰ বিবেক আৰু স্বাধীনতাক বিসৰ্জন নিদিয়াকৈ ৰাইজৰ ন্যায্য দাবীক আমাৰ কাকতত প্ৰকাশ কৰিবলৈ সমৰ্থ হওঁ, তেন্তে আমি অৱশ্যেই অসমৰ সমূহ ৰাইজৰ অকুণ্ঠ সহযোগিতা আৰু শুভ-ইচ্ছা লাভ কৰিবলৈ সমৰ্থ হ'ম। ৰাইজৰ সেৱা কৰিবলৈ আমাক বল-শক্তিও দিব লাগিব ৰাইজেই।

অসমৰ অন্যান্য বাতৰি কাকত আৰু আলোচনীসমূহৰ প্ৰতিও আমাৰ এষাৰ ক'বলগীয়া আছে। সেইটো হৈছে এই যে, জন-সেৱাৰ সকলো ক্ষেত্ৰতে আমি তেওঁলোকৰ লগত ঘনিষ্ঠতম সহযোগিতা ৰক্ষা কৰি চলিলেও এটা বিষয়ত কিন্তু আমি তেওঁলোকৰ লগত অতি কঠোৰভাৱে প্ৰতিযোগিতা কৰিম। সেই প্ৰতিযোগিতা অৱশ্যে গ্ৰাহক-সংখ্যা বৃদ্ধিৰ অথবা ব্যৱসায়িক সাফল্যৰ প্ৰতিযোগিতা নিশ্চয় নহয়, — সি হ'ব দেশৰ কাৰণে কোনে কিমান ত্যাগ কৰিব পাৰে তাৰ প্ৰতিযোগিতা, সামাজিক অন্যায়ৰ বিৰুদ্ধে চলা

বিৰাম-বিহীন যুদ্ধত দুখ-স্বীকাৰৰ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অংশ লবলৈ আমি সকলো সহযোগী বাতৰি কাকত আৰু আলোচনীকে আহ্বান কৰিছোঁ। আমাৰ দেশ আৰু জাতি আজি এনে এটা জীৱন-মৰণ সমস্যাৰ সন্মুখত আহি উপনীত হৈছে যে ইয়াৰ অস্তিত্ব-ৰক্ষা নিৰ্ভৰ কৰিছে সকলো দেশপ্ৰেমিক ব্যক্তি আৰু অনুষ্ঠানৰ ত্যাগ-স্বীকাৰ আৰু দুখ-বৰণৰ প্ৰতিযোগিতাৰ ওপৰতহে। ই কেৱল এটা অলঙ্কাৰপূৰ্ণ অতিশয়োক্তি মাত্ৰ নহয়, প্ৰকৃততেই ই এটা নিৰ্মম বাস্তৱ সত্য।

আৰু— কোৱা বাহুল্য মাথোন যে আমাৰ কাম হ'ব বিৰোধী দলৰ মুখপত্ৰ। অৱশ্যে এই বিৰোধী দল বিধান সভাৰ বিৰোধী দল নহয়, শাসক দলৰ বিৰোধী দল নহয়, কোনো ৰাজনৈতিক বিৰোধী দল নহয়। আমাৰ কাকত হ'ব সেইসকল লোকৰ মুখপত্ৰ – যিসকলে বিৰোধিতা কৰে সৰ্ব-প্ৰকাৰ অসত্যৰ আৰু অন্যায়ৰ, নৈতিক ভীৰুতাৰ আৰু ভণ্ডামিৰ, স্বাৰ্থপৰতাৰ আৰু সমাজ-দ্ৰোহিতাৰ। সৰ্বোপৰি, আমাৰ কাকত হ'ব সেইসকল লোকৰ মুখপত্ৰ, যিসকলে বিৰোধিতা কৰে মানৱ-স্বাধীনতাৰ বিৰুদ্ধে হোৱা সকলো ষড়যন্ত্ৰৰ। কোনেও যেন এই আশা নকৰে যে গুৰুত্বপূৰ্ণ ঐতিহাসিক প্ৰশ্নবোৰৰ ক্ষেত্ৰত আমি নিৰপেক্ষ হৈ থাকিম, কিম্বা বৃহৎ ৰাজনৈতিক আৰু সামাজিক সমস্যাসমূহ সম্পৰ্কে হোৱা বিতৰ্কত আমি ভূমিকা লম কেৱল মুকলি মনৰ নিৰপেক্ষ শ্ৰোতাৰ। এই বিষয়ত দাৰ্শনিক ৰাছেলৰ লগত আমি সম্পূৰ্ণ এক মত ঃ I have rejected the view that only indifferent men are impartial men. The conception of individual intelligence, which confuses empty minds with open minds, is degenerate and must be repudiated. – অপ্ৰিয় সত্য হ'লেও আমি এই কথা ক'বলৈ বাধ্য হৈছোঁ যে বৰ্তমান আমাৰ সমাজত এনে উদাসীন মানুহৰ সংখ্যাই বেছি, আৰু সমাজৰ বোজাস্বৰূপ এই উদাসীন মানুহবিলাকৰ বিষয়ে ভৱিষ্যতেও আমি বহুতো অপ্ৰিয় কথা ক'ম।

কাকত হিচাবে আমাৰ লক্ষ্য ইমান সামান্য, আদৰ্শ ইমান সাধাৰণ, যে সেই বিষয়ে কোনো সাড়ম্বৰ ঘোষণাৰ প্ৰয়োজন নাই বুলিয়েই আমি ভাবোঁ। আমি মনে-প্ৰাণে গণতান্ত্ৰিক আদৰ্শ আৰু সমাজ-ব্যৱস্থাত বিশ্বাস কৰোঁ, কিন্তু লগতে এই কথাও বিশ্বাস কৰোঁ যে অন্তহীন সতৰ্কতাৰ অবিহনে গণতন্ত্ৰৰ পদে পদে পথভ্ৰষ্ট হোৱাৰ সম্ভাৱনা থাকে। গণতান্ত্ৰিক ৰাষ্ট্ৰত বাতৰি কাকতৰ আটাইতকৈ ডাঙৰ দায়িত্ব হ'ল চিৰ-জাগ্ৰত প্ৰহৰী কুকুৰৰ দৰে সকলো বিপদৰ আক্ৰমণৰপৰা গণতন্ত্ৰক ৰক্ষা কৰাটো। আমি সেই দায়িত্ব নিষ্ঠাৰে সৈতে পালন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ। দ্বিতীয়তে আমি বিশ্বাস কৰোঁ যে গণতন্ত্ৰ হ'ল এখন মুক্ত সমাজৰ মুক্ত চিন্তা, আলোচনা আৰু বিতৰ্কৰ নামান্তৰ মাত্ৰ; যি সমাজতে প্ৰতিটো সামাজিক প্ৰশ্ন বা সমস্যাৰ ওপৰত মুকলি চিন্তা, আলোচনা আৰু তৰ্ক-বিতৰ্কৰ মাত্ৰা বেছি, সেই সমাজতেই গণতন্ত্ৰ অধিক সক্ৰিয়, সুদৃঢ় আৰু ফলপ্ৰসূ। এই কথা অস্বীকাৰ কৰিবলৈ কাৰো উপায় নাই যে আমাৰ দেশত, বিশেষকৈ অসমত, চিন্তা কৰা বা আলোচনা কৰাৰ প্ৰৱণতা প্ৰায় অনুপস্থিত; সেয়েহে ইয়াত গণতন্ত্ৰৰ আদৰ্শই পদে পদে উজুটি খায় Unthinking compact majorityৰ জড়দগৱ পথাৰত, আৰু ফলত সি হৈ পৰে পঙ্গু। আৰ্থাৰ্ কোৱেষ্ট্‌লাৰে এবাৰ মন্তব্য কৰিছিল যে ৰাজনৈতিক দলবোৰে জনসাধাৰণক সদায় কাম কৰিবলৈ আৰু কঠিন পৰিশ্ৰম কৰিবলৈ বাৰম্বাৰ আহ্বান জনায়, কিন্তু নিজৰ স্বাৰ্থ বিপন্ন হোৱাৰ ভয়ত ভুলতো এবাৰো তেওঁলোকক আহ্বান নকৰে চিন্তা কৰিবৰ কাৰণে। কাৰণ তেওঁলোকে জানে যে জনসাধাৰণে চিন্তা কৰিবলৈ আৰম্ভ কৰিলেই তেওঁলোকৰ

স্বৈৰাচাৰৰ অন্ত পৰে। আমি অনুভৱ কৰিছোঁ যে আমাৰ দেশত গণতন্ত্ৰক সুদৃঢ় আৰু শক্তিশালী কৰিবৰ কাৰণে মুক্ত চিন্তা আৰু বিতৰ্কৰ এটা বাতাবৰণ সৃষ্টি হোৱা দৰকাৰ, আৰু সেই উদ্দেশ্যেৰে আমি আমাৰ কাকতক অসমৰ তথা ভাৰতৰ চিন্তাশীল বুদ্ধিজীবীসকলৰ কুৰুক্ষেত্ৰ ৰণাঙ্গনত পৰিণত কৰিবলৈকো কুণ্ঠাবোধ নকৰোঁ। মেথু আৰ্ণল্ডে ভাবিছিল যে যি সময়ত মূল্যবোধসমূহ সন্দেহ-ভাজন হৈ পৰে, সেই সময়ত কাব্য ৰচনাতকৈও অধিক জৰুৰী প্ৰয়োজন হয় সমালোচনাৰ। কোৱা বাহুল্য মাথোন যে এই সমালোচনা কেৱল কিতাপৰ বা শিল্প-কলাৰ নহয়, সেই সমালোচনাৰ বিষয়-বস্তু হ'ল সমগ্ৰ সমাজ। সমসাময়িক ভাৰতীয় জীৱনত এনে এটা অৱস্থাৰ উদ্ভৱ হৈছে বুলি আমি ভাবোঁ, আৰু সেই কাৰণে আমাৰ উদ্দেশ্য হ'ব বিভিন্ন দৃষ্টিকোণৰপৰা সমাজৰ বিষয়ে খৰচি মাৰি চিন্তা কৰা, আলোচনা কৰা, বিশ্লেষণ কৰা, আৰু সমালোচনা কৰা — যাতে চিন্তা-বিমুখ স্বাৰ্থপৰ নেতাৰ হাতৰপৰা, প্ৰথা-সিদ্ধ মিথ্যাচাৰৰপৰা, অৰ্ধ-সত্য, অসত্য আৰু ভুল সংস্কাৰৰ নাগপাশৰপৰা আমি সমাজক মুক্ত কৰিব পাৰোঁ।

বাৰ্ট্ৰাণ্ড ৰাছেলৰ আত্ম-জীৱনী

১৯৪০ চনত নিউয়ৰ্কৰ চিটি কলেজত এজন ইংৰাজ দাৰ্শনিকক শিক্ষক হিচাবে নিয়োগ কৰা হ'ল। কিন্তু এই নিযুক্তিয়ে সোঁ-পন্থী বুদ্ধিজীৱী আৰু যাজক সম্প্ৰদায়ৰ মাজত ইমান প্ৰচণ্ড প্ৰতিবাদৰ ধুমুহা সৃষ্টি কৰিলে যে বেচেৰা দাৰ্শনিকজনৰ পক্ষে সেই কলেজত শিক্ষক হিচাবে যোগ দিয়া আৰু সম্ভৱ নহ'ল। তেওঁৰ বিৰুদ্ধে ৰাজহুৱা আপত্তিৰ ঘাই কাৰণ আছিল এয়েই যে তেওঁ আছিল লম্পট, ব্যভিচাৰী, কামাসক্ত, নাস্তিক, মিথ্যাচাৰী।

তেওঁৰ নিযুক্তি নাকচ্ হোৱাৰ পাচত দাৰ্শনিকজনে মন্তব্য কৰিছিল – "চক্ৰেটিচৰ বিৰুদ্ধেও ঠিক এইকেইটা অভিযোগকেই অনা হৈছিল – নাস্তিকতা আৰু ডেকাসকলৰ চৰিত্ৰ নষ্ট কৰা।"

চক্ৰেটিচৰ লগত তেওঁৰ আন মিল থাকক নাথাকক, এই কথা অৱশ্যে ঠিকেই যে চক্ৰেটিচৰ পৰা আৰম্ভ কৰি আজি পৰ্য্যন্ত পৃথিৱীত জন্ম গ্ৰহণ কৰা সৰ্বদেশৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ দাৰ্শনিকসকলৰ ভিতৰত বাৰ্ট্ৰাণ্ড ৰাছেল নিসন্দেহে অন্যতম। দাৰ্শনিকসকলৰ ভিতৰত প্ৰথম শ্বহীদ চক্ৰেটিচৰেই পথ অনুসৰণ কৰি ৰাছেলেও সত্য-নিষ্ঠা আৰু চিন্তাৰ স্বাধীনতাৰ কাৰণে গোটেই জীৱন ধৰি যুঁজ কৰিছে আৰু অশেষ নিৰ্য্যাতন ভোগ কৰিছে। 'মই, বা আন যি কোনো মানুহেই এটা মাত্ৰ অসত্যত বিশ্বাস কৰাতকৈ সমগ্ৰ পৃথিৱীখন ধ্বংস হৈ যোৱাও বেছি ভাল' – এয়েই ৰাছেলৰ জীৱনৰ মূলমন্ত্ৰ।

এনেহেন সত্যসন্ধ দাৰ্শনিকো যে অন্ততঃ এক শ্ৰেণী মানুহৰ চকুত মিথ্যাবাদী আৰু ব্যভিচাৰী বুলি প্ৰতীয়মান হৈছিল, সেইটো নিশ্চয় এটা অতি আচৰিত হ'ব লগা কথা। অৱশ্যে তাৰ কাৰণ আছিল। ৰাছেলে বিশ্বাস কৰে যে 'কোন জন মানুহ প্ৰকৃততে মুক্ত-প্ৰজ্ঞ, সেই কথা তেওঁৰ বিশ্বাসৰ ওপৰত নিৰ্ভৰ নকৰে; সি বেছিকৈ নিৰ্ভৰ কৰে সেই বিশ্বাসবোৰত তেওঁ কেনেকৈ উপনীত হ'ল তাৰ ওপৰতহে। যদি তেওঁ কিবা এটা কথা কেৱল এই কাৰণেই বিশ্বাস কৰে যে বাল্যাবস্থাত সেই কথাটোকে সঁচা বুলি তেওঁক ডাঙৰসকলে শিকাইছিল, বা সেই কথা সঁচা বুলি বিশ্বাস নকৰিলে মনে মনে তেওঁ খুব অসুখী হ'ব, তেন্তে তেওঁৰ মনটোক স্বাধীন বুলি কেতিয়াও ক'ব নোৱাৰি। কিন্তু যদিহে তেওঁ কোনো এটা কথা খুব ভালকৈ ভাবি-চিন্তি আৰু সেই কথাৰ সপক্ষে যথেষ্ট প্ৰমাণ আদি পাই তাক সঁচা বুলি বিশ্বাস কৰে, তেন্তে তেওঁৰ সিদ্ধান্তসমূহ ভুল হ'লেও ক'ব লাগিব যে তেওঁ প্ৰকৃততে মুক্ত-প্ৰজ্ঞ আৰু সত্য-নিষ্ঠ। মুক্তভাৱে চিন্তা কৰা মানুহে কেতিয়াও কাৰো কৰ্তৃত্বৰ ওচৰত সেও নামানে বা নিজৰ অভিৰুচিৰ ওচৰতো মূৰ নোদোৱায়। তেওঁ সদায় প্ৰমাণৰহে মুখাপেক্ষী। 'প্ৰমাণ কৰি দিয়া যে তেওঁ ভুল কৰিছে, তেওঁ তৎক্ষণাৎ নিজৰ মত সলনি কৰিব। তেওঁৰ আগত এটা নতুন তথ্য দাঙি ধৰা, প্ৰয়োজন হ'লে তেওঁ নিজৰ সৰ্বাপেক্ষা প্ৰিয় মত বা তত্ত্বকো বিসৰ্জন দিব'... গোটেই জীৱন ধৰি এই আদৰ্শৰে পৰিচালিত হোৱাৰ কাৰণেই বাৰ্ট্ৰাণ্ড ৰাছেল ওঠৰ বছৰ বয়সৰপৰাই নিৰীশ্বৰবাদী (বা অধিক শুদ্ধকৈ ক'বলৈ গ'লে – Agnostic); পুঁজিবাদী আৰু সাম্যবাদী উভয় বিধ সমাজ ব্যৱস্থাৰেই তেওঁ এজন কঠা সমালোচক; এই আদৰ্শৰ তাড়নাতেই তেওঁ এদিন 'মেকেঞ্জ

এণ্ড্ মৰেল্‌চ্' নামৰ বিপ্লবী ভাবধাৰাৰ কিতাপ লিখি বিবাহৰ নামত মানব সমাজত যুগ যুগ ধৰি চলি অহা বহুতো ভণ্ডামিৰ মুখা খুলি দি মুক্ত প্ৰেমৰ (Free love) আদৰ্শ প্ৰচাৰ কৰিছিল, আৰু তাৰ বাবাই সনাতন পন্থীসকলৰপৰা 'লম্পট, ব্যভিচাৰী, অগম্যাগামী' আদি আখ্যা লাভ কৰিছিল। কোৱা বাহুল্য মাথোন যে নিউয়ৰ্ক চিটি কলেজৰ দুৱাৰ মুখৰপৰা ৰাছেল বিতাড়িত হৈ আহিব লগাৰ অন্যতম কাৰণ আছিল 'মেৰেজ্ এণ্ড্ মৰেল্‌চ্' গ্ৰন্থত তেওঁ প্ৰচাৰ কৰা সংস্কাৰ-বিৰোধী আদৰ্শসমূহ।

কিন্তু বাৰ্ট্ৰাণ্ড ৰাছেলৰ সমগ্ৰ কীৰ্তিৰ তুলনাত 'মেৰেজ্ এণ্ড্ মৰেল্‌চ্' এটা তুচ্ছ, নগণ্য অধ্যায় মাত্ৰ। তেওঁৰ ঘাই পৰিচয় হ'ল এয়েই যে তেওঁ সৰ্বকালৰ এজন সৰ্বশ্ৰেষ্ঠ দাৰ্শনিক, আৰু চিন্তাৰ স্বাধীনতা আৰু মানবীয় মৰ্য্যাদাৰ কাৰণে উৎসৰ্গীকৃত-প্ৰাণ এজন অক্লান্ত যোদ্ধা। দাৰ্শনিক হিচাবে তেওঁ এনে এটা সু-উচ্চ স্তৰৰ অধিবাসী যে সৰ্বসাধাৰণ মানুহে তাত প্ৰৱেশ কৰাৰ কথা কল্পনাই কৰিব নোৱাৰে। ১৯০৩ চনত তেওঁ অকলে The Principles of Mathematics আৰু ১৯১০-১৩ চনত অধ্যাপক হোৱাইটহেডৰ সহযোগিতাত Principia Mathematica নামৰ এখন সু-বৃহৎ গ্ৰন্থ প্ৰণয়ন কৰে; এই দুয়োখন গ্ৰন্থই দৰ্শন-শাস্ত্ৰত এটা নতুন শাখাৰ ভিত্তি-ভূমি প্ৰতিষ্ঠা কৰে, যাক 'গাণিতিক ন্যায়শাস্ত্ৰ' বুলি জনা যায়। এই শেষোক্ত Principia Mathematica নামৰ গ্ৰন্থখন ইমানেই তাৎপৰ্য্যপূৰ্ণ যে 'বিশ্ব সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ একশখন গ্ৰন্থ'ৰ বহুতো তালিকাত ইয়াক অন্তৰ্ভুক্ত কৰা হৈছে।

চিন্তাৰ স্বাধীনতা ৰক্ষাৰ কাৰণে সুদীৰ্ঘ জীৱন ধৰি বাৰ্ট্ৰাণ্ড ৰাছেলে অক্লান্তভাৱে যি চেষ্টা কৰি আহিছে, আধুনিক কালত তাৰ কোনো তুলনা নাই। প্ৰথম মহাযুদ্ধৰ সময়তেই শান্তিবাদী হিচাবে যুদ্ধ প্ৰচেষ্টাৰ বিৰোধিতা কৰাৰ কাৰণে ৰাছেলৰ ছমাহ জেইল হয়; তেতিয়া তেওঁৰ বয়স ৪১ বছৰ। একেবাৰে শেষবাৰ তেওঁ জেইললৈ যায় সিদিনা মাত্ৰ, তেওঁৰ ৯১ বছৰ বয়সত। এতিয়া তেওঁৰ বয়স ৯৬ বছৰ, কিন্তু এই মুহূৰ্ততো তেওঁ বহি থকা নাই। ভিয়েটনামত আমেৰিকাৰ সাম্ৰাজ্যবাদৰ বৰ্বৰতাৰ বিৰুদ্ধে তেওঁ এতিয়াও বাৰে বাৰে গৰ্জি উঠিছে, তেওঁৰ কণ্ঠত ধ্বনিত হৈ উঠিছে মানব-জাতিৰ বিবেকৰ কণ্ঠস্বৰ।

অলপতে এই মহান দাৰ্শনিক, চিন্তা-নায়ক আৰু মানব-প্ৰেমী মহাপুৰুষজনৰ এখন আত্ম-জীৱনী প্ৰকাশ পাইছে। কিতাপখনে ইতিমধ্যেই সমগ্ৰ বিশ্বৰ পাঠক-সমাজৰ মাজত অভূতপূৰ্ব চাঞ্চল্যৰ সৃষ্টি কৰিছে। যিসকলে দূৰৰপৰা ৰাছেলক কেৱল এজন নীৰস দাৰ্শনিক, শান্তিবাদী আৰু সমাজ-সংস্কাৰক বুলিহে জানে, বা তেওঁ আশী বছৰ বয়সত চতুৰ্থবাৰৰ কাৰণে বিয়া কৰোৱাৰ খবৰ শুনি তেওঁৰ ব্যক্তিগত জীৱনৰ প্ৰতি কিছু কৌতূহল অনুভৱ কৰে, তেওঁলোকে এই অসাধাৰণ মানুহজনৰ অসামান্য আত্ম-জীৱনীখন পঢ়ি তাৰ পাতে পাতে আবিষ্কাৰ কৰিব এক মহৎ জীৱন-নাট্যৰ এজন মহিমান্বিত ট্ৰেজিক নায়কক, যাৰ প্ৰতিটো কথা, প্ৰতিটো চিন্তা, প্ৰতিটো কামেই পাঠকৰ অন্তৰ বিস্ময়, বিষাদ, আবেগ আৰু চিন্তাৰে ভৰাই তুলিব।

ফৰাচী দাৰ্শনিক ৰুচোৱে তেওঁৰ বিখ্যাত 'স্বীকাৰোক্তি'ৰ ভূমিকাত কৈছিল যে এই পৃথিৱীত মাত্ৰ দুজনহে আচল সঁচা-কথীয়া মানুহে জন্ম লৈছিল : তাৰে এজন হ'ল মহাভাৰত-প্ৰণেতা ব্যাসদেৱ, আনজন তেওঁ নিজে। ব্যাসদেৱে তেওঁৰ মাক যে এগৰাকী কেৱট্যা আছিল সেই কথা প্ৰকাশ কৰিবলৈ অকণো কুণ্ঠাবোধ কৰা নাছিল; সেইদৰে ৰুচোৱেও নিজ প্ৰণয়িনীৰ হাতত লাঞ্ছিত হোৱাৰ কথাও অকপটভাৱে স্বীকাৰ কৰি গৈছিল।

ব্যাসদেৱ আৰু ৰুচোৰ সত্যবাদিতা যে প্ৰশংসনীয় সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু ৰুচোৱে

কেবল তেওঁলোক দুজনেইহে সত্যবাদী বুলি ক'বৰ সময়ত নিশ্চয় সপোনতো ভবা নাছিল যে তেওঁৰ মৃত্যুৰ প্ৰায় এশ বছৰৰ পাচতে এই পৃথিৱীত জন্ম লব বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে এজন সত্যসন্ধ মানুহে— যিজনে অন্তৰৰপৰাই বিশ্বাস কৰিব যে 'মানুহে এটা মাত্ৰ মিছা কথাত বিশ্বাস কৰাতকৈ গোটেই পৃথিৱীখন ধ্বংস হৈ যোৱাও বেছি ভাল।' ৰাছেলে তেওঁৰ আত্ম-জীৱনীত নিজৰ মাকৰ জীৱনৰ এটা ঘটনাৰ বিষয়ে লিখিছেঃ

"মোৰ গৃহ-শিক্ষকজন যক্ষ্মা ৰোগত ভুগিছিল। মোৰ আই আৰু দেউতা দুয়ো ঠিক কৰিলে যে যক্ষ্মা ৰোগ থকাৰ কাৰণে তেওঁ অৱশ্যে সন্তান জন্ম দিয়া উচিত নহ'ব, কিন্তু সেই বুলি তেওঁক ব্ৰহ্মচাৰী হৈ থাকিবলৈ দিয়াও অন্যায় হ'ব। সেই কাৰণে মোৰ আয়ে তেওঁৰ নিজৰ লগতে সহবাস কৰিবলৈ গৃহ-শিক্ষকজনক অনুমতি দিলে।"

বাল্য-কালৰ যৌন-অভিজ্ঞতাৰ বিষয়ে ৰাছেলে লিখিছে ঃ

"কিশোৰ অৱস্থাত মোৰ চিন্তা বা আগ্ৰহ বিভক্ত হৈ পৰিছিল যৌন-চিন্তা, ধৰ্ম আৰু গণিতৰ ভিতৰত।.... পোন্ধৰ বছৰ বয়সত মোৰ যৌন-স্পৃহা অসহনীয়ভাৱে তীব্ৰ হৈ পৰিছিল। মই যেতিয়া পঢ়াত অখণ্ডভাৱে মনোনিবেশ কৰিবলৈ চেষ্টা কৰোঁ, তেতিয়াও বাৰে বাৰে মোৰ পুৰুষাঙ্গ উত্তেজিত হৈ মোৰ মনোযোগ ভঙ্গ কৰি দিয়ে ......।"

কিন্তু এইজন মানুহেই যেতিয়া প্ৰথম দৰ্শনতেই এগৰাকী অসামান্যা সুন্দৰী মহিলাৰ প্ৰেমত পৰিল আৰু প্ৰেমিকাৰ লগত ঘনিষ্ঠতম সাহচৰ্য্যৰ সুবিধা পালে, তেতিয়া—

"যদিও তেওঁৰ প্ৰতি মোৰ প্ৰেম আছিল গভীৰ, মই তেওঁৰ লগত দৈহিক মিলনৰ কাৰণে কোনো সচেতন আকাংক্ষা অনুভৱ কৰা নাছিলোঁ। আনকি এদিন ৰাতি যেতিয়া মই সপোনত যৌন-অভিজ্ঞতা লাভ কৰিলোঁ, তেতিয়া মোৰ অনুভৱ হ'ল যে ইয়াৰ দ্বাৰা মোৰ পবিত্ৰ প্ৰেম কলুষিত কৰাহে হ'ব।"

মানুহে সাধাৰণতে ভাবে যে ৰাছেলৰ দৰে বিশুদ্ধ যুক্তিবাদী দাৰ্শনিকৰ মনত সাধাৰণ মানবীয় অনুভূতিৰ কোনো ঠাই থাকিব নোৱাৰে, বা সাধাৰণ মানবীয় দুৰ্বলতাই তেওঁক কেতিয়াও বিচলিত কৰিব নোৱাৰে। তেওঁৰ জীৱনৰ এটা অবিস্মৰণীয় মুহূৰ্তৰ বিষয়ে ৰাছেলে লিখিছে—

"যন্ত্ৰণাৰ এখন দুৰ্লংঘ্য প্ৰাচীৰে তেওঁক আন সকলোৰে পৰা বিচ্ছিন্ন কৰি পেলাইছিল, আৰু ঠিক সেই মুহূৰ্তত প্ৰতিটো মানবাত্মাৰ নিসঙ্গতাৰ চেতনাই মোক হঠাতে অভিভূত কৰি পেলালে।... হঠাৎ যেন মোৰ ভৰিৰ তলৰপৰা পৃথিৱীখন পিছলি গ'ল, আৰু মই মুহূৰ্ততে অন্য এক ৰাজ্যত প্ৰবেশ কৰিলোঁ। পাঁচ মিনিটৰ ভিতৰতে মই তলত উল্লেখ কৰা বিষয়বোৰ সম্পৰ্কে চিন্তা কৰিবলৈ ধৰিলোঁ— মানব-হৃদয়ৰ নিসঙ্গতা অসহনীয়; ধৰ্মগুৰুসকলে যি ধৰণৰ প্ৰেমৰ শিক্ষা দিয়ে, সেই ধৰণৰ নিবিড়তম প্ৰেমৰ অনুভূতিৰ বাহিৰে আন একোৱেই এই নিসঙ্গতা ভেদ কৰিব নোৱাৰে; যি কাম বা চিন্তা এনে প্ৰেমৰ অনুভূতিৰ দ্বাৰা পৰিচালিত নহয় সিয়েই অপকাৰী বা অৰ্থহীন...।"

জীৱনৰ বিষয়ে ৰাছেলৰ ধাৰণা কি? এগৰাকী বান্ধৱীলৈ লিখা এখন চিঠিত তেওঁ লিখিছিল ঃ

"প্ৰকৃত জীৱনৰ অৰ্থ হ'ল জগতৰ অন্যান্য নৰ-নাৰীৰ লগত নিবিড় ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰি চলা জীৱন। প্ৰকৃত জীৱনৰ অৰ্থ হ'ল নিজৰ ব্যক্তিগত জীৱনতে সেইবোৰ আৱেগ-অনুভূতিৰ বাস্তৱ অভিজ্ঞতা লাভ কৰা— যিবোৰ অনুভূতি হ'ল ধৰ্ম আৰু কবিতাৰ প্ৰাণ-স্বৰূপ। নতুন এটা ধৰ্ম প্ৰবৰ্তন কৰিব খোজা

মানুহজনে যি পথ অনুসৰণ কৰি চলিছিল, প্ৰকৃত জীৱনত উপনীত হ'বলৈকো সেই একেটাই পথ— ক্ৰুশবিদ্ধ হোৱা, আৰু তৃতীয় দিনা পুনৰ উঠি অহা।"

এই অসাধাৰণ আত্ম-জীৱনীখন— যাৰ প্ৰতিটো পাতে পাতে ৰাছেলৰ যন্ত্ৰণাময় নিসঙ্গ কৈশোৰ, স্বপ্নাতুৰ যৌৱন, প্ৰথম প্ৰেম আৰু বিবাহ, দ্বিতীয় প্ৰেম আৰু বিবাহ-বিচ্ছেদ, ৰাছেলৰ ইন্দ্ৰিয়-পৰায়ণতা আৰু আধ্যাত্মিক অভিযান, যুক্তিবাদিতা আৰু অপৰূপ কাব্যিক আবেগ, বিশ্বৰ ৰহস্যানুসন্ধান আৰু অতলস্পৰ্শী ব্যক্তিগত বিষাদ – বিবিধ বিচিত্ৰ ঘটনাৰ মাজেদি জিলিকি উঠিছে, সেই কিতাপখন ৰাছেলে তেওঁৰ চতুৰ্থা পত্নী এডিথক উছৰ্গা কৰিছে এই বুলি— "এডিথলৈ— সুদীৰ্ঘ বছৰবোৰ ধৰি মই বিচাৰিছিলোঁ শান্তি। মই আনন্দৰ উল্লাস পাইছিলোঁ, মই বিষাদৰ যন্ত্ৰণা পাইছিলোঁ, মই উন্মাদনা পাইছিলোঁ, মই নিসঙ্গতা পাইছিলোঁ। মই পাইছিলোঁ নিসঙ্গ যন্ত্ৰণা— যি এফালৰপৰা হৃদয় খুলি খুলি খায়। কিন্তু শান্তি মই কেতিয়াও নাপালোঁ।

কিন্তু এতিয়া মই বুঢ়া হৈছোঁ, মৰিবলৈ মোৰ বেছি দিন নাই। এই অৱস্থাত তোমাক মই পালোঁ। আৰু তোমাক পাই ইমান বছৰৰ মূৰত মই পালোঁ আনন্দৰ উল্লাস আৰু শান্তি দুয়োটাকে। বিশ্ৰাম কি বস্তু মই এতিয়া চিনি পালোঁ। জীৱন আৰু প্ৰেম কি বস্তু সেইটো এতিয়া মই জানিলোঁ। এতিয়া যদি মই শোওঁ, মই শুব পাৰিম সম্পূৰ্ণ শান্তিৰে।"

গাঁৱলৈ উভতি যোৱাৰ পথ

চীন আৰু ভাৰতবৰ্ষ এদিন হঠাতে পৰম মিত্ৰ হৈ উঠিছিল, 'হিন্দী-চীনী ভাই ভাই' চিঞৰত এদিন ভাৰতবৰ্ষৰ আকাশ-বতাহ খলক লাগি গৈছিল। কিন্তু যোৱা কেইবছৰমান ধৰি দুয়োখন দেশ অহি-নকুল শত্ৰু। ফলত ৰাজহুৱা আচৰণৰ চিৰাচৰিত ফৰমূলা অনুযায়ী এসময়ত যি চীন দেশ আছিল নিৰ্বিচাৰ প্ৰশংসা আৰু তোষামোদৰ পাত্ৰ, সেই একেখন চীন দেশেই আজি হ'ল কেৱল বিশুদ্ধ ঘৃণা আৰু অবিশ্বাসৰ পাত্ৰ। সৰ্বসাধাৰণ মানুহৰ চকুত পৃথিবীখনৰ কেৱল দুটা ৰং; হয় ক'লা নহয় বগা। কোৱা বাহুল্য মাথোন যে সম্প্ৰতি ভাৰতীয় জনসাধাৰণৰ চকুত চীন দেশ সম্পূৰ্ণৰূপে ক'লা।

অৱশ্যে চীন দেশ বগা বুলি প্ৰমাণ কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। সম্পূৰ্ণ আন এটা প্ৰসঙ্গতহে এইখিনি কথা মনলৈ আহিল। ভালেই হওক, বেয়াই হওক, এটা কথাত কোনো সন্দেহ নাই যে চীনৰ ৰাষ্ট্ৰনায়ক আৰু চিন্তানায়কসকলে কিছুদিন ধৰি মানুহৰ জীৱন-যাত্ৰাৰ পদ্ধতি সম্পৰ্কে কিছুমান অভিনৱ ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলাইছে। এই পৰীক্ষা-নিৰীক্ষাৰ মাত্ৰা শিক্ষা-ক্ষেত্ৰতেই আটাইতকৈ বেছি, কিয়নো এখন সমাজৰ আচৰণ, আদৰ্শ আৰু মনোভঙ্গী নিৰূপিত কৰে সেই সমাজৰ শিক্ষা-ব্যৱস্থাই। সম্প্ৰতি এটা খবৰ আহিছে যে সকলো চীনা ল'ৰা-ছোৱালীৰ কাৰণে শাৰীৰিক পৰিশ্ৰম বাধ্যতামূলক কৰা হৈছে। প্ৰবেশিকা পাছ কৰাৰ লগে লগেই কোটি কোটি চীনা ল'ৰা-ছোৱালীয়ে কান্ধত একোখন মোনা আৰু মুখত নতুন সমদল-সঙ্গীত লৈ যিটো পথেৰে আজি আগবাঢ়িছে, সেই পথ হ'ল গাঁৱলৈ উভতি যোৱাৰ পথ; যি জীৱন তেওঁলোকৰ কাৰণে অপেক্ষা কৰি আছে সেই জীৱন হ'ল খেতিয়ক বা খনি-বনুৱাৰ জীৱন। এনে কৰাৰ প্ৰধান লক্ষ্য হ'ল কেৱল দেশৰ উৎপাদন বঢ়োৱাই নহয়, তাতোকৈ ডাঙৰ লক্ষ্য হ'ল শাৰীৰিক পৰিশ্ৰমক মৰ্য্যাদাৰ আসনত প্ৰতিষ্ঠিত কৰা। চীনৰ নায়কসকলে স্পষ্টভাৱেই ঘোষণা কৰিছে – "শ্ৰমিকসকলে হ'ল সমাজৰ আচল মালিক। সেই কাৰণে – বিশ্ববিদ্যালয়ত পঢ়া মানুহবোৰে এই শ্ৰমিকসকলৰ সৰু মানুহ বুলি অৱজ্ঞাৰ চকুৰে চাব আৰু আনহাতে এই শ্ৰমিকসকলেই নিজৰ তেজক পানী কৰি বিশ্ববিদ্যালয়বোৰক ভৰণ-পোষণ দি থাকিব -- এনে এটা অৱস্থাৰ কথা ভাবিবই নোৱাৰি।... মূঠতে মূৰেৰে পৰিশ্ৰম কৰা সকলে হাতেৰে পৰিশ্ৰম কৰা সকলৰ ওপৰত চিৰকাল আধিপত্য চলাই থকা অৱস্থাৰ অৱসান ঘটাবলৈ চীনৰ নতুন নায়কসকল দৃঢ়-প্ৰতিজ্ঞ যেন দেখা গৈছে।

এইখিনিতে আমাৰ পাঠকসকলক এটা কথা সোঁৱৰাই দিয়া প্ৰয়োজন যে কিছুদিনৰ আগতে আচাৰ্য্য বিনোৱা ভাবেই চীনৰ নতুন শিক্ষা-নীতিৰ বিষয়ে প্ৰশংসাসূচক মন্তব্য কৰিছিল। পাকিস্তানৰ মৌলানা ভাচানীয়েতো চীন দেশ ভ্ৰমণ কৰি আহি সেই দেশকেই পৃথিবীৰ স্বৰ্গ বুলি বৰ্ণনা কৰিছিল।

এটা কথা প্ৰায়েই কোৱা হয় যে এচিয়াত চীন আৰু ভাৰতৰ মাজত এটা ভীষণ প্ৰতিযোগিতা চলিছে। সি হ'ল এটা আদৰ্শ সমাজ-ব্যৱস্থা আৰু জীৱন-পদ্ধতি উদ্ভাৱনৰ প্ৰতিযোগিতা। দুয়ো দেশৰে লক্ষ্য একেই, কিন্তু পথ বেলেগ বেলেগ। শেহান্তৰত গৈ যি দেশেই এই প্ৰতিযোগিতাত জয়-লাভ কৰিব, সেই দেশেই মানৱ-সভ্যতাৰ ভৱিষ্যৎ গতি-পথ বহু পৰিমাণে নিৰূপিত কৰিব।

ভাৰতবৰ্ষৰ জনসংখ্যা দ্ৰুতগতিৰে বাঢ়িব লাগিছে। প্ৰস্তৰ যুগত সমগ্ৰ পৃথিৱীৰ জন-সংখ্যা দুগুণ

হ'বলৈ ত্ৰিশ হাজাৰ বছৰ লাগিছিল। এতিয়া কেৱল ভাৰতবৰ্ষৰে জনসংখ্যা দুগুণ হ'বলৈ লাগিব মাত্ৰ ত্ৰিশ বছৰ। এই বৰ্দ্ধিত জন-সংখ্যাৰ শতকৰা ষাঠি জনৰেই বয়স বিশৰ তলত। স্বাধীনতা লাভৰ পাচত শিক্ষা-ব্যৱহাৰ দ্ৰুত সম্প্ৰসাৰণৰ ফলত বেছি ভাগ ল'ৰা-ছোৱালীয়েই পঢ়া-শুনাৰ সুবিধা পাইছে। কিন্তু এই শিক্ষিত ডেকা-গাভৰুসকল দেশৰ সম্পদ হোৱাৰ পৰিবৰ্তে হৈ পৰিছে এটা ডাঙৰ বোজা। তাৰ কাৰণ হ'ল – উচ্চশিক্ষিত ডেকা-গাভৰুৰ কথাই নাই, ইংৰাজীৰ সামান্য অক্ষৰ-জ্ঞান হোৱা ল'ৰা-ছোৱালীয়েও শাৰীৰিক পৰিশ্ৰম কৰি জীৱিকা উপাৰ্জন কৰিবলৈ সমূলি ইচ্ছা নকৰে; সকলোকে লাগে 'হোৱাইট্-কলাৰ্ড জব্' – অৰ্থাৎ একো কাম নকৰি দৰ্মহা পোৱা চাকৰি। কৰ্ম-সংস্থানৰ যি দুটা পথ আছে – চৰকাৰী চাকৰি আৰু সকৰৰ উদ্যোগসমূহ – তাতো কোটি কোটি উঠি অহা ডেকা-গাভৰুৰ অতি সামান্য এটা অংশইহে কাম পোৱাৰ আশা কৰিব পাৰে। বাকীবোৰ ক'লৈ যাব? কি কৰিব তেওঁলোকে? তৰুণৰ মোহ-ভঙ্গী, হতাশা আৰু নিবনুৱা সমস্যাৰ ধ্বনি তুলি তেওঁলোকে লিখক-শিল্পীক সৃষ্টিৰ মচলা যোগাব? বিভিন্ন ৰাজনৈতিক দলসমূহক দিব সংগ্ৰামৰ নতুন নতুন অস্ত্ৰ?

ভাৰতৰ শিক্ষিত আৰু অৰ্ধ-শিক্ষিত নিবনুৱাৰ সমস্যাটো যে কিমান ডাঙৰ সমস্যা সেই বিষয়ে দেশৰ নেতাসকল বা জনসাধাৰণ যথোচিতভাৱে সচেতন নহয় যেন লাগে। এটা কথা প্ৰত্যেকেই স্পষ্টভাৱে জানি লোৱা প্ৰয়োজন যে কোনো চৰকাৰেই দেশৰ সকলো ডেকা মানুহক চাকৰি দি অন্ন-সংস্থান কৰি দিব নোৱাৰে। ভাৰতৰ উদ্যোগীকৰণৰ সম্ভাৱনাও সীমাবদ্ধ। তদুপৰি ভাৰতৰ দৰে দেশত ব্যাপক উদ্যোগীকৰণ হোৱা উচিত নে অনুচিত সেই বিষয়েও গভীৰ চিন্তাৰ অৱকাশ আছে। মহাত্মা গান্ধীয়ে সেইটো হোৱা নিবিচাৰিছিল। আনকি আমেৰিকা যুক্তৰাষ্ট্ৰৰ অন্যতম প্ৰতিষ্ঠাতা টমাচ্ জেফাৰচনেও বিশ্বাস কৰিছিল যে যান্ত্ৰিক সভ্যতাই মনুষ্যত্বক অধোগামী কৰে; সেই কাৰণে তেওঁ পৰামৰ্শ দিছিল যে আমেৰিকা যুক্তৰাষ্ট্ৰই নিজে কৃষি-জীৱী দেশ হৈ থাকি শিল্পজাত বস্তুবোৰ বিদেশৰপৰা আমদানী কৰা উচিত। আধুনিক কুবেৰ-সদৃশ আমেৰিকাৰ 'ৰুগ্ন সমাজ'খন দেখিলে জেফাৰচনৰ কথা যে খুব ভুল আছিল সেই কথা ভাবিবলৈ টান লাগে। সি যি কি নহওক, ভাৰতৰ কোটি কোটি উঠি অহা ডেকা-গাভৰুক কেৱল চৰকাৰী বা বেচৰকাৰী চাকৰি দি পোহ-পাল দিয়া অসম্ভৱ; আনহাতে তেওঁলোকে কোনেও খেতি কৰি খাবলৈ বা আন শাৰীৰিক পৰিশ্ৰম কৰি খাবলৈ ৰাজী নহয়। তেন্তে উপায় কি? কি ব্যৱস্থা কৰা হ'ব তেওঁলোকৰ?

'সাপ্তাহিক নীলাচল'ত অহা মাহত প্ৰকাশিতব্য শ্ৰীনিবাৰণ বৰাৰ এটা প্ৰবন্ধৰপৰা জানিব পাৰিছোঁ যে যোৱা দশকত গাঁও অঞ্চলত জনসংখ্যা বাঢ়িছে শতকৰা ত্ৰিশ ভাগ, কিন্তু নগৰ অঞ্চলত এই বৃদ্ধিৰ পৰিমাণ শতকৰা ১২৩ ভাগ। কোৱা বাহুল্য মাথোন যে ক খ - ম ম দুই এটা শিকিয়েই গাঁৱৰ ল'ৰাবোৰ চাকৰিৰ সন্ধানত নগৰলৈ গুচি অহাৰ ফলতেই নগৰ-অঞ্চলত এই অস্বাভাৱিক জন-স্ফীতি ঘটিছে। এই ডেকাসকলক কেনেকৈ গাঁৱলৈ ঘূৰাই পঠোৱা হয়, কেনেকৈ তেওঁলোকৰ মনত শাৰীৰিক পৰিশ্ৰমৰ মৰ্য্যাদাবোধ জগাই তোলা যায়, – এইটোৱেই হ'ল ভাৰতৰ সন্মুখত আজি আটাইতকৈ ডাঙৰ প্ৰশ্ন। ভাল হওক বেয়া হওক, চীন দেশে এই প্ৰশ্নৰ এটা উত্তৰ উলিয়াইছে। কিন্তু আমি উট চৰাইৰ দৰে বালিত মুখ লুকুৱাই বহি আছোঁ। আমি এটা আগ্নেয়গিৰিৰ ওপৰত বহি আছোঁ। কিন্তু এটা বিষয়ে বিন্দুমাত্ৰ সন্দেহ নাই যে ভাৰতৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যা আৰু তাৰ আনুষঙ্গিক নিবনুৱা সমস্যা তথা কৰ্ম-বিমুখতাৰ সমস্যাৰ আশু সমাধান কৰিব নোৱাৰিলে এই শতাব্দীৰ ভিতৰতে ভাৰতৰ সমাজ-ব্যৱস্থা সম্পূৰ্ণৰূপে খানবান হৈ পৰিব।

নির্বাসিত প্রতিভা

ৰসায়ন বিজ্ঞানৰ ক্ষেত্ৰত যি তিনিজন বৈজ্ঞানিকে সমূহীয়াভাবে ১৯৬৮ চনৰ নবেল পুৰস্কাৰ লাভ কৰিছে, তাৰে এজনৰ নাম হ'ল শ্ৰীহৰগোবিন্দ খোৰানা। নামটো শুনিয়েই প্ৰত্যেক ভাৰতীয়ৰ মন আনন্দত উৎফুল্ল হৈ উঠা উচিত, কাৰণ এই নামৰ অধিকাৰী মানুহজন ভাৰতীয় নহৈ নিশ্চয় নোৱাৰে। কিন্তু অতি দুৰ্ভাগ্য আৰু পৰিতাপৰ কথা যে নবেল-বঁটা-বিজয়ী শ্ৰীহৰগোবিন্দ খোৰানাক এজন ভাৰতীয় বুলি কৈ গৌৰৱ অনুভৱ কৰিবলৈ আমাৰ আজি বোধহয় কোনো অধিকাৰেই নাই। কাৰণ ভাৰতীয় হিচাবে জন্ম-গ্ৰহণ কৰিলেও তেওঁ আজি আইনতঃ ভাৰতীয় নাগৰিক নহয়। মাত্ৰ কেইবছৰ মানৰ আগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিকত্ব গ্ৰহণ কৰি তেওঁ সম্পূৰ্ণৰূপে সেই দেশৰ অধিবাসী হৈ পৰিছে। শ্ৰীখোৰানা ভাৰতীয় হৈয়ো আজি কিয় ভাৰতীয় বুলি পৰিচিত হোৱাৰপৰা বঞ্চিত হ'ব লগা হৈছে — সেই প্ৰশ্নৰ উত্তৰ ভাৰতীয় বৌদ্ধিক জীৱনৰ এটা কলঙ্কিত অধ্যায়। ভাৰতবৰ্ষত মৌলিক প্ৰতিভাসম্পন্ন বৈজ্ঞানিকৰ অতিশয় প্ৰাচুৰ্য্য ঘটিছে বুলি নিশ্চয় কোনেও দাবী কৰিব নোৱাৰে; যি কেইজন মুষ্টিমেয় বৈজ্ঞানিক ওলাইছে, তেওঁলোকেও যদি নিজৰ দেশত চিন্তা-চৰ্চা আৰু গৱেষণাৰ প্ৰয়োজনীয় সুবিধা নাপাই বা প্ৰতিভাৰ যোগ্য স্বীকৃতি নাপাই বিদেশত আশ্ৰয় বিচাৰি যাব লগা হয়, ভাৰতৰ দৰে এখন অনুন্নত দেশৰ পক্ষে তাতোকৈ ডাঙৰ দুৰ্ভাগ্যৰ কথা আৰু কি হ'ব পাৰে? অথচ কিছুদিন ধৰি ভাৰতত ঠিক সেইটোৱেই হ'ব ধৰিছে। আধুনিক যুগত উন্নতিৰ প্ৰথম আৰু প্ৰধান চৰ্তই হ'ল বৈজ্ঞানিক শিক্ষা আৰু গৱেষণাৰ অগ্ৰগতি; কিন্তু যিসকল উচ্চ-শিক্ষিত বৈজ্ঞানিকে এই উন্নতিৰ ভেটি প্ৰতিষ্ঠা কৰিব পাৰে, তেনে হাজাৰ হাজাৰ তৰুণ বৈজ্ঞানিকে স্বদেশত বিজ্ঞান-সাধনাৰ উপযুক্ত পৰিবেশ নাপাই চিৰকালৰ কাৰণে বিদেশলৈ গুচি গৈছে। কেৱল টকাৰ লোভেই এওঁলোকক বিদেশলৈ টানি লৈ গৈছে বুলি সিদ্ধান্ত কৰিলে এই বৈজ্ঞানিকসকলৰ প্ৰতিও সম্পূৰ্ণ সুবিচাৰ কৰা নহ'ব; লগতে ভাৰতীয় সমাজৰ আৰু বৌদ্ধিক জীৱনৰ ৰোগ নিৰ্ণয় কৰাটোও অসম্ভৱ হৈ উঠিব। সেই কাৰণে 'বিদেশী ভাৰতীয়' শ্ৰীহৰগোবিন্দ খোৰানাৰ নবেল-বঁটা-বিজয়ৰ বাতৰিয়ে সংশ্লিষ্ট ভাৰতীয় কৰ্তৃপক্ষক আত্ম-সমালোচনাৰ যি সুযোগ দিছে, সেই সুযোগ তেওঁলোকে গ্ৰহণ কৰি ভাৰতৰপৰা প্ৰতিভাৰ বহিৰ্গমনৰ পথ ৰুদ্ধ কৰিবলৈ আন্তৰিকভাৱে চেষ্টা কৰিব বুলি সকলোৱে আশা কৰিছে।

মাত্ৰ দুদিন মানৰ আগতে নতুন দিল্লীৰ অল ইণ্ডিয়া ইনষ্টিটিউট্ অব্ মেডিকেল চায়েন্সত অনুষ্ঠিত এখন সভাত বিভিন্ন বক্তাই দিয়া ভাষণৰপৰা এটা কথা স্পষ্ট হৈ পৰিছে যে ভাৰতীয় বৈজ্ঞানিকসকলে এটা অতি শ্বাসৰোধকাৰী পৰিবেশত কাম কৰিব লগা হৈছে, আৰু সেই পৰিবেশ সহ্য কৰিব নোৱাৰিয়েই বহুতো বৈজ্ঞানিক বিদেশলৈ গুচি গৈছে। কি কি কাৰণতনো এনে এটা শ্বাসৰোধকাৰী অৱস্থাৰ সৃষ্টি হৈছে সেইবোৰ কথা বিতংভাৱে জনা সম্প্ৰতি আমাৰ পক্ষে সম্ভৱ নহয়। কিন্তু শ্ৰীখোৰানাৰ সম্পৰ্কত এতিয়া যিবোৰ কথা প্ৰকাশ পাব ধৰিছে, তাৰপৰা অন্ততঃ এটা কথা স্পষ্ট হৈ পৰিছে যে ভাৰতীয় সমাজত যৌৱনৰ বা তাৰুণ্যৰ কোনো ঠাই নাই, জৰা-গ্ৰস্ত ভাৰতীয় সমাজত চাৰিওফালে জৰাৰেই জয়-জয়কাৰ। এজন বিশিষ্ট বৈজ্ঞানিকে এই কথা এতিয়া প্ৰকাশ কৰিছে যে প্ৰতিভাশালী তৰুণ ভাৰতীয় বৈজ্ঞানিকসকলৰ পক্ষে জাতীয় বিজ্ঞান

পৰিষদৰ সদস্য নিৰ্বাচিত হোৱাটো এক প্ৰকাৰ অসম্ভৱ বুলিয়েই ক'ব পাৰি। সমগ্ৰ বিশ্বৰ বৈজ্ঞানিকসকলে যেতিয়া ডঃ খোৰানাৰ যুগান্তকাৰী আবিষ্কাৰসমূহৰ গুৰুত্ব স্বীকাৰ কৰি লৈছিল, আনকি সেই মুহূৰ্ত্তটো তেওঁক জাতীয় বিজ্ঞান পৰিষদৰ সদস্য পদৰ কাৰণে যোগ্য বুলি বিবেচনা কৰা নহ'ল। কিয়? তেওঁৰ একমাত্ৰ অপৰাধ কি তেওঁৰ তাৰুণ্য?

এই কথা সকলোৱেই জানে যে প্ৰাচ্য দেশত পকা চুলিৰ মূল্য বৰ বেছি। কিন্তু পৃথিবীৰ আনটো গোলাৰ্ধত যেতিয়া যৌৱনে তাৰ প্ৰাপ্য মূল্য আৰু স্বীকৃতি বিচাৰি পাইছে, সেই সময়ত ভাৰতত পকা চুলিৰ tyranny সহ্য কৰি থাকিবলৈ অনিচ্ছা বাঢ়ি অহাই অতি স্বাভাৱিক। কিন্তু ভাৰতীয় বৌদ্ধিক জীৱনত শ্বাস-ৰোধ-কাৰী অৱস্থা সৃষ্টি হোৱাৰ কাৰণে একমাত্ৰ বাৰ্ধক্যৰ দোৰ্দণ্ড প্ৰতাপেই দায়ী নহয়; তাৰ সমানেই বা তাতোকৈ বেছি দায়ী হ'ল নিষ্প্ৰাণ আৰু যান্ত্ৰিক প্ৰশাসনীয় ব্যৱস্থা। প্ৰশাসন নিজেই প্ৰশাসনৰ লক্ষ্য হ'ব নোৱাৰে; কোনো এটা বিশেষ লক্ষ্যলৈ মানুহক বা সমাজক আগুৱাই নিবৰ কাৰণে ই এটা উপায় মাত্ৰ। কিন্তু ভাৰতৰ অৱস্থা ঠিক তাৰ ওলোটাটো। কেৱল বৈজ্ঞানিক গৱেষণাৰ প্ৰশাসনৰ ক্ষেত্ৰতে নহয়, অন্যান্য সকলো ক্ষেত্ৰতেই ভাৰতীয় প্ৰশাসন-ব্যৱস্থা ইমান বেছি যান্ত্ৰিক যে ইয়াৰ মাজত প্ৰতিভাৰ বিকাশৰ বা কল্পনাৰ স্ফুৰণৰ বা মৌলিকতাৰ উন্মেষৰ কোনো অৱকাশ নাই। Grow old along with me, the best is yet to be— এয়েই হ'ল ভাৰতীয় প্ৰশাসন-ব্যৱস্থাৰ মূলনীতি।

অৱশ্যে আমি এই কথা পাহৰিলেও নচলিব যে অধ্যাপক জে-বি-এচ্ হলডেনৰ দৰে বৈজ্ঞানিকে স্বাধীন চিন্তা আৰু কামৰ অনুকূল পৰিবেশ বিচাৰি ভাৰতবৰ্ষলৈকে আহিছিল। বৌদ্ধিক সহিষ্ণুতা আৰু মত-প্ৰকাশৰ স্বাধীনতাৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বতে ভাৰতৰ কোনো তুলনা নাই — এই কথা একেবাৰে সত্য। কিন্তু এই সহিষ্ণুতা আৰু স্বাধীনতা ভাৰতীয় সংস্কৃতিৰ কেইবা হাজৰ বছৰৰ সাধনাৰ সৃষ্টি। আজিৰ ভাৰতীয় প্ৰশাসকসকলে যদি নিজৰ ক্ষুদ্ৰ মনৰ অহঙ্কাৰ আৰু স্বাৰ্থ-বুদ্ধিৰে ভাৰতৰ যি আছিল তাকো নষ্টহে কৰে, তেতিয়া হ'লে ভাৰতৰ ভৱিষ্যতৰ কাৰণে তাতোকৈ ডাঙৰ আশঙ্কাৰ কথা আন একোৱেই হ'ব নোৱাৰে।

অসমত বয়-বস্তুৰ দাম কেতিয়াবা কমিবনে?

নেলুত টিপা মাৰি ধৰিলে মানুহে যেনেকৈ উশাহ লব নোৱাৰি ধৰফৰাই উঠে, স্বাধীনতা লাভৰ পাচৰপৰা অসমৰ অৱস্থাও সদায় তেনেকুৱাই হৈ আহিছে। ৰেল-পথ বা যান-বাহনৰ পথ— দুয়ো ফালেদিয়েই ভাৰতৰ বাকী অংশৰ লগত অসমৰ যোগ-সূত্ৰ অতি ক্ষীণ আৰু নিশকতীয়া। বটলৰ ডিঙিৰ নিচিনা চিএগ্ৰ এই অংশটোত টিপা মাৰি ধৰি অসমক আধা-মৰা কৰা তেনেই সহজ। আমি যোৱা কুৰি বছৰ ধৰি মন কৰি আহিছোঁ যে অসমৰ এই দুৰ্বল ভৌগোলিক অৱস্থিতিৰ সুযোগ লবলৈ মানুহ আৰু প্ৰকৃতি কোনোৱেই পিচ পৰি থকা নাই। অৱশ্যে প্ৰকৃতিৰ বিৰুদ্ধে অভিযোগ কৰি কোনো লাভ নাই। প্ৰকৃতি সদায় অন্ধ আৰু উদাসীন। শত্ৰুভাবাপন্ন বিদেশী ৰাষ্ট্ৰবোৰেও আমাৰ এই দুৰ্বলতাৰ সুযোগ লবলৈ চেষ্টা কৰি থকাটো অতি স্বাভাবিক। আমিও এনে অৱস্থাত ঠিক তাকেই কৰিলোঁহেঁতেন। কিন্তু আমি অতি আচৰিত হৈছোঁ – কেৱল আচৰিত নহয়, আমি খঙে-দুখে জৰ্জৰিত হৈ গৈছোঁ এই কথা দেখিহে যে অসমৰ প্ৰতি আটাইতকৈ নিষ্ঠুৰ ব্যৱহাৰ কৰিছে হিংস্ৰ প্ৰকৃতি বা শত্ৰু বিদেশী ৰাষ্ট্ৰই নহয়, অসমক নেলুত টিপা মাৰি মাৰিব খুজিছে আমাৰ নিজৰেই দেশী-ভাই ভাৰতীয় বেপাৰীসকলেহে।

এই কথা সকলোৱেই জানে যে মানুহৰ নিত্য ব্যৱহাৰ্য্য প্ৰায়বোৰ বস্তু – তেল-নিমখ-চেনি-ডাইলৰপৰা আৰম্ভ কৰি টুথ্-পেষ্ট-চাবোনলৈকে – এই সকলো বস্তু অসমৰ বাহিৰৰপৰা আনিব লাগে। এই বস্তুবোৰ অসমলৈ আনিবৰ কাৰণে অতি আহুকলীয়া আৰু দীঘলীয়া পৰিবহন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱাৰ ফলত বস্তুবোৰ আহি অসম পায় মানে তাৰ দাম ইমান বাঢ়ি যায় যে গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসমৰ মানুহে প্ৰত্যেকটো বস্তুকেই আটাইতকৈ বেছি দামত কিনিব লগা হয়। অৰ্থাৎ জীৱন-ধাৰণৰ খৰচ গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসমতেই আটাইতকৈ বেছি। এইটোৱেই হ'ল অসমবাসী ৰাইজলৈ স্বাধীনতাৰ আটাইতকৈ ডাঙৰ দান। সি যি কি নহওক, স্বাভাবিক অৱস্থাতেই অসমৰ বয়-বস্তুৰ দামৰ এই অৱস্থা; সামান্য অস্বাভাবিক অৱস্থাৰ সৃষ্টি হ'লেই – অৰ্থাৎ আকাশত মেঘে গৰ্জিলেই বা মাটিত মানুহে মুখেৰে দুই-এটা চিএগ্ৰৰ-বাখৰ কৰিলেই বয়-বস্তুৰ ইতিমধ্যেই আকাশ-লংঘা দাম হো-হোকৈ আৰু ওপৰলৈ উঠি যায়; তেতিয়া আৰু সৰ্বসাধাৰণ ৰাইজৰ আকাশলৈ চাই কপাল চপৰিওৱাৰ বাহিৰে আন একো উপায় নাথাকে।

পৃথিৱীখন ঈশ্বৰে এনেভাৱে সৃষ্টি কৰিছে যে ইয়াত মাজে মাজে বানপানী আৰু ভূমিকম্প হবই, ওচৰ-চুবুৰীয়া দুখন দেশৰ মাজত মাজে-সময়ে মনো-মালিন্য বা আনকি চুৰ্চুৰীয়া যুদ্ধ-বিগ্ৰহো হ'ব। কিন্তু বানপানী হৈ ভাৰতৰ লগত অসমৰ ৰেল-সংযোগ এদিন বন্ধ হৈ থাকিলেই যদি এমাহৰ কাৰণে অসমৰ মানুহে ডাইলৰ কিলোত তিনি টকা বা পিঁয়াজৰ কিলোত দুটকা দিব লগা হয়, ভাৰত-পাকিস্তান সীমান্তত সামান্য সামৰিক তৎপৰতা দেখা দিলেই যদি ভেল্কি-বাজীৰ দৰে চকুৰ পচাৰতে বজাৰৰপৰা সকলো বস্তু অদৃশ্য হৈ যায়, দুটামান খণ্ডাল আৰু ভোকাতুৰ ল'ৰাই দুটা বা এটা অসাধু বেপাৰীত লপা-থপা এটা মাৰিলেই যদি সকলো অনা-অসমীয়া বেপাৰী একগোট হৈ অসমক খাবলৈ নিদি পেট শুকুৱাই মাৰিম বুলি প্ৰতিজ্ঞা-বদ্ধ হয়, তেতিয়াহ'লে এটা কথা স্পষ্ট হৈ ওলাই পৰে যে এই বেপাৰী সম্প্ৰদায়ৰ কেৰামতালীৰপৰা

অসমবাসী ৰাইজৰ উদ্ধাৰ পোৱাৰ কোনো আশাই নাই। বানপানী, প্ৰাকৃতিক দুৰ্য্যোগ, বিদেশী শত্ৰুৰ আক্ৰমণৰ সম্ভাৱনা – এইবোৰ সদায় থাকিবই, আৰু তাৰ লগে লগে থাকিব অসমবাসী ৰাইজৰ জীৱন-মৰণৰ ওপৰত এই বেপাৰী-গোষ্ঠীৰ একচ্ছত্ৰ ৰাজত্ব। মানুহে মন্ত্ৰীৰ অন্তঃসাৰশূন্য বক্তৃতা খাই জীয়াই নাথাকে, জীয়াই থাকে চাউল-ডাইল-তেল-নিমখ খাইহে। আৰু এই কথা এতিয়া বেলিৰ পোহৰৰ দৰে স্পষ্ট হৈ পৰিছে যে এই চাউল-ডাইলৰ দাম কিলোত এটকা হ'ব নে দহ টকা হ'ব – সেইটো ঠিক কৰিব মুষ্টিমেয় কেইজনমান অৰ্থলিপ্সু অসাধু প্ৰকৃতিৰ বেপাৰীয়ে – শ্ৰীবিমলাপ্ৰসাদ চলিহা বা ৰমেশচন্দ্ৰ বৰুৱাই নহয়। ভাৰতৰ কোটি কোটি দৰিদ্ৰ নৰনাৰায়ণৰ স্বাধীনতাৰ ব্যাকুল স্বপ্নৰ কি চমৎকাৰ পৰিণতি!

আজি কিছুদিনৰপৰা বজাৰত কেৰাচিন তেল নাই। নাই মানে – আছে, যদি কোনোবাই লিটাৰত এটকা-ডেৰটকা দিবলৈ ৰাজী আছে। পিঁয়াজৰ কিলোত দুটকা। পিঁয়াজৰ দাম কিলোত নব্বৈ পইচাৰপৰা দুটকালৈ জাঁপ মাৰিবলৈ দুটা দিনো নালাগিল। এই অৱস্থা এবাৰ-দুবাৰ হ'লে কোনো কথা নাছিল, কিন্তু ৰাইজে নিশ্চয় মন কৰি আহিছে যে যোৱা কুৰি বছৰ ধৰি এই একেই ঘটনা বছৰে বছৰে ঘটিবই লাগিছে আৰু মানুহে এইটোকেই জীৱনৰ স্বাভাৱিক অৱস্থা বুলি গ্ৰহণ কৰিবলৈ শিকিছে। সামান্য এটা অজুহাত লৈয়েই নিৰ্মম লাভ-খোৰ বেপাৰীয়ে বস্তুৰ দাম বঢ়ায়, বাতৰি কাকতত দুটামান 'চাঞ্চল্যকৰ তথ্য' উদ্‌ঘাটিত হয়, মন্ত্ৰীয়ে ওঁ-আঁ কৰি দুটামান প্ৰবোধ-বাক্য শুনায়, আজিকালি এটা নতুন ঘটনা দেখা গৈছে যে একে বেপাৰী-চক্ৰৰে দুজনমানে সমাজ-হিতৈষীৰ ভাও লৈ ৰাইজৰ চকুত ধূলি দিবৰ কাৰণে নিজৰ সগোত্ৰসকললৈ সমাজৰ হৈ আবেদন কৰে – আৰু এই সকলোৰে সমান্তৰালভাৱে চলি থাকে সেই একে দুখীয়াৰ হাড়-গুড়ি কৰা মূল্য-বৃদ্ধি, অনাটন, হাঁহাকাৰ আৰু সমাজদ্ৰোহী শত্ৰুবোৰৰ নিৰ্লজ্জ বে-পৰোৱা অট্টহাস্য।

অসমত বয়-বস্তুৰ দাম কেতিয়াবা কমিবনে?

নকমে।

তাৰ কাৰণ, বয়-বস্তুৰ দাম যিবোৰ মানুহে নিয়ন্ত্ৰণ কৰে সেইবোৰৰ ওপৰত অসম চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাই।

তাৰ কাৰণ, ক্ষমতাত অধিষ্ঠিত মানুহবোৰে সৰ্বসাধাৰণ ৰাইজৰ দুখ-কষ্টৰ কথা কল্পনা কৰিব নোৱাৰে, কাৰণ বেপাৰীবোৰে তেওঁলোকক কেতিয়াও কোনো অভাৱ অনুভৱ কৰিবলৈ নিদিয়ে। টায়া জিন্ কিন্চে তেওঁৰ এখন বিখ্যাত গ্ৰন্থত লিখিছে যে ভাৰতীয় কোম্পানীয়ে তৈয়াৰ কৰা মটৰ গাড়ীবোৰ যে কিমান বেয়া সেই কথা মন্ত্ৰী বা বিষয়াই কল্পনা কৰিব নোৱাৰে, কাৰণ কোম্পানীবোৰে সদায় দুই ৰকমৰ মটৰ গাড়ী নিৰ্মাণ কৰে ঃ এবিধ মন্ত্ৰী আৰু বিষয়াৰ কাৰণে, আনবিধ সৰ্বসাধাৰণৰ কাৰণে। ভাৰতৰ আৰ্থিক জীৱনৰ সকলো ক্ষেত্ৰতেই এই কথা প্ৰযোজ্য।

ভাৰতৰ লগত অসমক সংযুক্ত কৰা মাটি ডোখৰ বহল হৈ যোৱা যেনেকৈ অসম্ভৱ, বেপাৰী-সম্প্ৰদায়ৰ হৃদয়-পৰিবৰ্তন হোৱা যেনেকৈ অসম্ভৱ, অসম চৰকাৰৰ কলিজা শক্তিশালী হোৱা যেনেকৈ অসম্ভৱ, ঠিক তেনেকৈ অসমত বয়-বস্তুৰ দাম কম হোৱাও অসম্ভৱ। অসম স্বাধীন ভাৰতবৰ্ষৰ এটা স্বাধীন অঙ্গ, সেই বিষয়ে সন্দেহ নাই; কিন্তু লগতে এই বিষয়েও সন্দেহ নাই যে নিজৰ পৈতৃক প্ৰাণটোৰ কাৰণে অসমৰ ৰাইজ স্বদেশবাসী ভাৰতীয় বেপাৰী-গোষ্ঠীৰ সম্পূৰ্ণ কৃপাতাধীন।

প্ৰসঙ্গক্ৰমে এটা কথা মনত পৰিল ঃ ১৯৫৯ চনত কেৰাচিন তেলৰ মূল্য-বৃদ্ধি আৰু অনাটনৰ বিষয়ে অসম চৰকাৰে চলোৱা তদন্তৰ প্ৰতিবেদনখন পঢ়ি চাবলৈ কাৰো মন নাযায় নে?

খাদ্যৰ অভাৱ, মদৰ প্ৰাচুৰ্য্য আৰু বিনা-চিকিৎসাত মৰণৰ প্ৰতীক্ষা

আমাৰ কাকতৰ আয়ুস-কাল দুমাহেই হোৱা নাই। এই অলপ দিনৰ ভিতৰতে অসমৰ বিভিন্ন ঠাইৰপৰা আমাৰ কাকতত প্ৰকাশৰ কাৰণে পঠোৱা (ঠাইৰ অভাৱত তাৰে সিকি ভাগ মাত্ৰ আমি প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছোঁ) অসংখ্য বাতৰি বিশ্লেষণ কৰি আমি আবিষ্কাৰ কৰিছোঁ যে সৰ্বসাধাৰণ ৰাইজৰ অভাৱ-অভিযোগ ঘাইকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি— চিকিৎসাৰ সু-ব্যৱস্থাৰ অভাৱ, বয়-বস্তুৰ অনাটন আৰু চৰা দাম, আৰু চোৰাং মদৰ অবাধ প্ৰচলন। এই তিনিওটা সমস্যাই অসমৰ সাধাৰণ ৰাইজক একেবাৰে জুৰুলা কৰি পেলাইছে।

আমাৰ কাকতলৈ অহা বাতৰিবোৰক যদি দিগ্‌দৰ্শক হিচাবে লব পাৰি, তেন্তে আমাৰ অভিজ্ঞতাৰপৰা এই কথা ক'ব পৰা হৈছোঁ যে সৰ্বসাধাৰণ ৰাইজৰ আটাইতকৈ বেছি অভিযোগ হ'ল চৰকাৰী চিকিৎসালয়বোৰৰ বিৰুদ্ধে। এই কথা সকলোৱেই জানে যে জনসংখ্যা অনুসৰি যিমানবোৰ চিকিৎসালয় হ'ব লাগে — আমাৰ দেশত সিমানবোৰ হ'বলৈ কম পক্ষেও আৰু এটা শতাব্দী লাগিব। ৰাইজৰ আপত্তি চিকিৎসালয় কম বুলি নহয়, ঘাই আপত্তি হ'ল থকা চিকিৎসালয়বোৰৰো চৰম দুৰৱস্থা আৰু অকৰ্মণ্যতাৰ কাৰণেহে। আমাৰ চৰকাৰতো চিকিৎসালয় পাতি দিয়েই খালাচ্। সেইবোৰত ডাক্তৰ আছেনে নাই, ঔষধ আছেনে নাই, থকা ঔষধবোৰৰ সদ্ব্যৱহাৰ হয়নে নহয়— সেইবোৰৰ খবৰ লবলৈ কাৰো গৰজো নাই, সময়ো নাই। ইফালে টেঁটু ফাটি যোৱাকৈ ৰাইজে চিঞৰি মৰিছে যে চিকিৎসালয়ৰ নামত ঘৰ যদিওবা আছে, ডাক্তৰ নাই, ডাক্তৰ যদিওবা আছে ঔষধ নাই, আৰু ঔষধ থাকিলেও সি যে কোন অন্ধকাৰ পথেৰে ক'লৈ অদৃশ্য হৈ যায় -- ৰাইজে তাৰ গমকে নাপায়। মুঠতে দেশত চিকিৎসালয় আছে, কিন্তু চিকিৎসাৰ ব্যৱস্থা নাই; বিনা চিকিৎসাত মৰণৰ দিন গণি গণি মানুহে আৰ্তনাদ কৰিছে, কিন্তু শুনোতা কোনো নাই।

দ্বিতীয় ঘাই আপত্তি হ'ল — বয়-বস্তুৰ অনাটন আৰু চৰা দাম। এই বিষয়ে বেছি কথা কোৱাৰ একো সকাম নাই। চাৰিওফালে কেৱল 'নাই, নাই'ৰ হাহাকাৰ, — চাউল নাই, চেনি নাই, কেৰাচিন নাই। মানুহে চাউল-ডাইলৰ বাহিৰে আন কথা চিন্তা কৰিবলৈ একেবাৰে পাহৰিয়েই গৈছে। এক বিৰাট ষড়যন্ত্ৰৰ কবলত নিৰুপায়ৰ বলি হৈ সমাজৰ বেছিভাগ মানুহেই আজি পৰিণত হৈছে কেৱল খাদ্য-সন্ধানী পশুত। দেশত নামত এটা চৰকাৰ আছে সঁচা, কিন্তু মানুহে আজি বুজি উঠিছে যে এই চৰকাৰৰপৰা আশা কৰিবলৈ একোটোৱেই নাই। লাভখোৰ চোৰাং-বেপাৰীয়ে হোজা গাঁৱলীয়া আৰু বুদ্ধিমান চহৰীয়া উভয়ৰেপৰা কেৰাচিনৰ লিটাৰত দুটকা বা চেনিৰ কিলোত চাৰি টকা লৈ বে-পৰোৱাভাৱে দিন-ডকাইতি কৰিছে, কিন্তু সেই ডকাইতৰ হাতৰপৰা শান্তিপ্ৰিয় নাগৰিকক ৰক্ষা কৰিবলৈ দেশৰ চৰকাৰৰ পৌৰুষৰ অভাৱ। এখন ৰাষ্ট্ৰৰ পক্ষে ইয়াতকৈ চৰম দুৰ্ভাগ্য আৰু অসন্মানৰ কথা আৰু কি হ'ব পাৰে?

খাবলৈ ভাত নাই — কিন্তু আচৰিত কথা এয়েহে যে গাঁৱে-নগৰে চোৰাং মদৰ নৈ বৈ গৈছে। আমি

ব্যক্তিগত অভিজ্ঞতাৰপৰা যি দেখিছোঁ, আমালৈ অহা অসংখ্য বাতৰি বিশ্লেষণ কৰি যি দেখিছোঁ – চোৰাং মদৰ অবাধ বিপুল প্ৰচলন লক্ষ্য কৰি দেশত চৰকাৰ এটা আছে বুলি বিশ্বাস কৰিবলৈ কোনো কাৰণ নাই। আবকাৰী বিভাগ নামে চৰকাৰৰ যি এটা বিভাগ আছে – তাৰ একমাত্ৰ কাম বোধহয় চোৰাং মদৰ বেপাৰীবোৰক ৰক্ষণাবেক্ষণ দিয়া। আমাৰ দেশৰ বেছিভাগ উঠি অহা ডেকা আজি মদাহীত পৰিণত হৈছে – কাৰণ সময় সলনি হোবাৰ লগে লগে আমাৰ জীৱনৰপৰা জীয়াই থকাৰ আনন্দ নোহোৱা হৈ গৈছে, অবিশ্বাস, অনিশ্চয়তা আৰু অভাৱৰ সৰ্বগ্ৰাসী অন্ধকাৰে ডেকাচাম মানুহক নিৰাশাৰ অতল গহ্বৰত নিক্ষেপ কৰিছে। সিহঁতক তাৰপৰা উদ্ধাৰ কৰে কোনে?

বাতৰি কাকতত ৰাইজৰ অভাৱ-অভিযোগৰ বাতৰি আৰু চিঠি প্ৰকাশ কৰা হয় কেৱল এই আশাত যে দেশৰ চৰকাৰে সেইবোৰ লক্ষ্য কৰিব আৰু পাৰ্যমানে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব। কিন্তু কেনেবাকৈ যেতিয়া মনত এই ধাৰণাৰ সৃষ্টি হয় যে এইবোৰ সকলো কেৱল 'গাইছোঁ বাইছোঁ খোলাকতিৰ তাল', – ৰাইজৰ অভাৱ-অভিযোগৰ যেনেকৈ অন্ত নাই, চৰকাৰী উদাসীনতা আৰু অমানবীয়তাও তেনেকৈ অন্তহীন – তেতিয়া মনটো হঠাৎ গভীৰ নিৰাশাৰে ভৰি উঠে। আবেদন-নিবেদন কৰি যেতিয়া অন্যায়ৰ প্ৰতিকাৰ কৰিব নোৱাৰি, তেতিয়া কি উপায়? উপায় কেৱল এটা – বিপ্লৱৰ কাৰণে প্ৰতীক্ষা কৰা? কিন্তু আচাৰ্য্য কৃপালনীৰ কথাই বোধহয় ঠিক : শতাব্দীৰ পাচত শতাব্দী ধৰি নিষ্পেষণত গুড়ি হোৱা ভাৰতৰ জনতাই বন্দুকৰ দ্বাৰাই হওক বা বেলট্ বাকচৰ দ্বাৰাই হওক কেতিয়াও বিপ্লৱ কৰিব নোৱাৰে। অন্যায়-অবিচাৰ আৰু অভাৱৰ তাড়নাত আধা-মৰা হৈ জীয়াই থকাটোৱেই আমাৰ বোধহয় একমাত্ৰ বিধিলিপি।

গুৱাহাটী বিশ্ববিদ্যালয়

সমালোচকসকল কেনেধৰণৰ মানুহ আৰু তেওঁলোকৰ শেষ গতি কি হয় – সেই বিষয়ে হান্চ্ ক্রিষ্টিয়ান্ এণ্ডাৰচনৰ এটা গল্প আছে। পাঁচজন ভাই-ককাইৰ ভিতৰত প্রত্যেকেই জীৱনত কিবা এটা কাম কৰিবলৈ সংকল্প ল'লে। কোনোবা এজনে ইটা তৈয়াৰ কৰিব, কোনোবা এজন ৰাজমিস্ত্রী হ'ব, তৃতীয়জন স্থপতি হ'ব – ইত্যাদি ইত্যাদি। কিন্তু পঞ্চমজন ভায়েক এইবোৰ সাধাৰণ কামত সন্তুষ্ট থাকিব পৰা মানুহ নহয়; তেওঁৰ জীৱনৰ একমাত্র আকাংক্ষা হ'ল সমালোচক হোৱা। সেই কাৰণে তেওঁ সংকল্প ল'লে ঃ "মই এই সকলোবোৰ বস্তুৰ বাহিৰত থাকিম আৰু তোমালোকে যিহকে তৈয়াৰ কৰা তাৰে সমালোচনা কৰিম।" গল্পৰ সামৰণিত দেখা গৈছে যে মৃত্যুৰ পাচত পাঁচোজন ভায়েক স্বৰ্গৰ দুৱাৰমুখত হাজিৰ হৈছেগৈ আৰু প্রত্যেকেই পৃথিৱীত কৰা বিভিন্ন কামৰ প্রমাণ দেখুৱাই স্বৰ্গত প্রবেশ কৰাৰ অধিকাৰ লাভ কৰিছে; কেৱল পঞ্চমজন ভায়েক অৰ্থাৎ কথাচহকী সমালোচকজনে একো কাম কৰাৰ প্রমাণ দেখুৱাব নোৱাৰি স্বৰ্গৰ দুৱাৰমুখৰপৰা প্রত্যাখ্যাত হৈ ঘূৰি আহিবলগা অৱস্থা হৈছে।

অৱশ্যে পৃথিৱীৰ সকলো সমালোচকৰে এনে দশা হয় নে নহয় সেই বিষয়ে আমাৰ নিজৰ সন্দেহ আছে। কাৰণ আমিও নিজৰ কান্ধত আনক কেৱল সমালোচনা কৰাৰ দায়িত্বহে চপাই লৈছোঁ, আৰু তাৰ দ্বাৰাই আমাৰ সমাজৰ এটা মহৎ কাম কৰিছোঁ বুলি ভাবি আত্ম-প্রসাদ লাভ কৰিছোঁ। দ্বিতীয়তে, পৃথিৱীৰ সমালোচক-কুলৰ এটা ডাঙৰ আফ্চোচ এয়েই যে তেওঁলোকে দোষ খুচৰি উলিওৱা বা বেয়া বুলি সমালোচনা কৰা কামবোৰ নিজে হাতে-কামে কৰি দেখুৱাবলৈ জীৱনত কোনো সুবিধাই নাপায়। সেই সুবিধা পোৱা হ'লে পৃথিৱীখনৰ চেহেৰা যে একেবাৰে সলনি হৈ গ'লহেঁতেন – সেই বিষয়ে অন্ততঃ সমালোচকসকলৰ মনত কোনো সন্দেহ নাই। ৰাজনৈতিক ক্ষেত্রৰ বাহিৰত এনে সুবিধা আচলতে খুব কম মানুহেই পায়। এনে ঘটনাৰ বিৰল আৰু বিস্ময়কৰ ব্যতিক্রম হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্তমান উপাচাৰ্য্য ডঃ মথুৰানাথ গোস্বামী। ১৯৬২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নানাবিধ কেলেঙ্কাৰীৰ বিষয়ে তদন্ত কৰিবলৈ যি আয়োগ গঠন কৰা হৈছিল আৰু যি আয়োগৰ সু-তীব্র সমালোচনাৰ আঘাতত এই বিশ্ববিদ্যালয়ৰ এটা 'ৰাজ-বংশ'ৰ সমূলি পতন হৈছিল—সেই আয়োগৰ অন্যতম আৰু খুব সম্ভৱ সৰ্বাপেক্ষা গুৰুত্বপূৰ্ণ সদস্য আছিল ডঃ মথুৰানাথ গোস্বামী। ডঃ গোস্বামীৰ পক্ষে এটা বিৰল সৌভাগ্যৰ কথা আছিল এয়েই যে এই ঘটনাৰ ঠিক পাচতেই—অৰ্থাৎ তেওঁৰ সমালোচনাৰ শৰত পুৰণি 'ৰাজ-বংশ'ৰ আটাইকেইজন মহাৰথী এজন এজনকৈ ধৰাশায়ী হোৱাৰ ঠিক পাচতেই তেওঁ নিজে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ পদত অধিষ্ঠিত হৈ এই বিশ্ববিদ্যালয়ত বহু বছৰ ধৰি পুঞ্জীভূত হৈ উঠা আবৰ্জনাৰ স্তূপ দূৰ কৰাৰ সুযোগ লাভ কৰিছিল। তদন্ত আয়োগৰ প্রতিবেদনত যেতিয়া কোৱা হৈছিল যে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য এজনৰ পক্ষে শিক্ষকতাৰ অভিজ্ঞতাৰ লগত প্রশাসনীয় দক্ষতা থকাও বাঞ্ছনীয় (পৃষ্ঠা ৩২)—তেতিয়া যেন আয়োগে নিজে ক'ব নোৱাৰাকৈয়ে এটা ভৱিষ্যদ্বাণীহে কৰিছিল। কাৰণ আয়োগৰ প্রতিবেদন প্রকাশ হোৱাৰ ঠিক পাচতে ডঃ গোস্বামী গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হ'ল—আৰু এই কথা নিশ্চয় সকলোৱে জানে যে এতিয়ালৈকে হোৱা গুৱাহাটী

বিশ্ববিদ্যালয়ৰ আটাইকেইজন উপাচাৰ্য্যৰ ভিতৰত কেৱল ডঃ গোস্বামীৰহে শিক্ষক আৰু প্ৰশাসক উভয়বিধৰে অভিজ্ঞতা আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মৰ আগতেই তেখেতে অধ্যাপকৰ জীৱন ত্যাগ কৰি চিভিল চাৰ্ভেণ্টৰ গধুৰ দায়িত্ব গ্ৰহণ কৰিছিল, আৰু নিজে কৰ নোৱৰাকৈয়ে তেখেতে নিজকে উপাচাৰ্য্য হ'বৰ কাৰণে প্ৰস্তুত কৰি তুলিছিল। মুঠতে সমালোচকে নিজে কাম কৰাৰ সুযোগ পোৱাৰ উদাহৰণ পৃথিবীৰ ইতিহাসত খুব বিৰল, আৰু ডঃ গোস্বামী তেনে বিৰল সুযোগ-লাভৰ দ্বাৰা ধন্য হোৱা মুষ্টিমেয় লোকসকলৰে এজন।

ইয়াৰ পিচত ইতিহাস যিমান অবিশ্বাস্য, তাতোকৈ বেছি হাস্যোদ্দীপক। ডঃ মথুৰানাথ গোস্বামী যি আয়োগৰ সদস্য আছিল, সেই আয়োগৰ সুদীৰ্ঘ আৰু সুচিন্তিত প্ৰতিবেদনত কোৱা হৈছিল যে –

(১) 'গুৱাহাটীৰ দৰে এখন সৰু বিশ্ববিদ্যালয়ত ট্ৰেজাৰাৰ্ অৰ্থাৎ ধন-ভঁৰালী পদৰ কোনো আৱশ্যক নাই'; (৩৩ পৃষ্ঠা)

(২) 'আমাৰ মতে ধন-ভঁৰালীৰ পদটো সম্পূৰ্ণ অনাৱশ্যকীয়, এই পদ তৎক্ষণাৎ উঠাই দিব লাগে'; (৩৩ পৃষ্ঠা)

(৩) 'চিনিয়ৰ স্কেলত একাডেমিক্ ৰেজিষ্ট্ৰাৰ পদৰো কোনো আৱশ্যক নাই'; (৩৩ পৃষ্ঠা)

(৪) 'স্নাতকোত্তৰ শ্ৰেণীৰ কাৰণে সচিব এজন নিযুক্ত কৰাৰ বিশ্ববিদ্যালয়ৰ কোনো উন্নতি বা উপকাৰ সাধিত হোৱা নাই'; (৩৩ পৃষ্ঠা)

(৫) 'স্নাতকোত্তৰ শ্ৰেণীৰ সচিব পদৰ কোনো দৰকাৰ নাই; বিষয়াজনৰ কাম এজন চুপাৰিণ্টেণ্ডেণ্টেই চলাব পাৰে'; (৩০ পৃষ্ঠা)

(৬) 'গুৱাহাটীৰ দৰে এখন সৰু বিশ্ববিদ্যালয়ত এজন ৰেজিষ্ট্ৰাৰে এজন বা দুজন ডেপুটি ৰেজিষ্ট্ৰাৰ আৰু এজন বা দুজন এছিষ্টেণ্ট ৰেজিষ্ট্ৰাৰৰ সহায়েৰেই শিক্ষা, বিত্ত আৰু হিচাব-বহী আদি সকলো কাম চলাব পাৰে; কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইনত ট্ৰেজাৰাৰ্ পদৰ ব্যৱস্থা কৰা হৈছে, আৰু ইতিমধ্যে এই বিশ্ববিদ্যালয়ৰ কণ্ট্ৰলাৰ অৱ এগ্‌জামিনেচন্ আৰু একাডেমিক ৰেজিষ্ট্ৰাৰ্ আদি পদৰো সৃষ্টি কৰিছে'; (৩২ পৃষ্ঠা)

(৭) 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ শক্তিশালী গোষ্ঠীটোৱে বিশ্ববিদ্যালয়ৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য নকৰাকৈয়ে বা ভাৰতৰ অন্যান্য বিশ্ববিদ্যালয়ৰ প্ৰশাসন ব্যৱস্থা পৰীক্ষা নকৰাকৈয়ে অতি উচ্চ নিৰিখৰ বেতনৰ ট্ৰেজাৰাৰ্, একাডেমিক্ ৰেজিষ্ট্ৰাৰ্ আৰু কণ্ট্ৰলাৰ্ অৱ এগ্‌জামিনেচন্ আদি পদ সৃষ্টি কৰিছে, (৬৬ পৃষ্ঠা)

(৮) 'গোটেই কথাবোৰ ঠিক কৰিবৰ কাৰণে ট্ৰেজাৰাৰ্, একাডেমিক ৰেজিষ্ট্ৰাৰ আৰু কণ্ট্ৰোলাৰ অৱ এগজামিনেচন পদকেইটা তৎক্ষণাৎ উঠাই দিব লাগে, (৬৭ পৃষ্ঠা)।

ওপৰৰ কথাখিনি ডঃ মথুৰানাথ গোস্বামীয়ে কৈছিল সমালোচক হিচাবে; কিন্তু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হিচাবে তেওঁ যেতিয়া নিজৰ বিশ্বাস আৰু আদৰ্শক বাস্তৱত ৰূপায়িত কৰিবলৈ সুযোগ পালে, তেতিয়া তেওঁ কি কৰিলে?

প্ৰথমতে যি ট্ৰেজাৰাৰৰ পদটো উঠাই দিব লাগে বুলি তেওঁ এঠাইত নহয় এঠাইত নহয় দুঠাইত নহয় পাঁচ ঠাইত উল্লেখ কৰিছিল, সেই ট্ৰেজাৰাৰ বুলি তেওঁ এঠাইত নহয় দুঠাইত নহয় পাঁচ ঠাইত উল্লেখ কৰিছিল, সেই ট্ৰেজাৰাৰ্ পদটো স্থায়ী কৰা হ'ল তেওঁৰ দিনতে।

And Brutus is an honourable man!

অকল সেয়েই নহয়, এনে এজন লোকক এই পদত স্থায়ীভাৱে অধিষ্ঠিত হোৱাত তেওঁ সহায়

কৰিলে——যাৰ বিষয়ে তেওঁ নিজে তদন্ত আয়োগৰ প্ৰতিবেদনত লিখিছিল ঃ 'দেখা গৈছে যে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ শ্ৰীভট্টাচাৰ্যক ট্ৰেজাৰাৰ্ হিচাবে ৰাখিবলৈ বদ্ধপৰিকৰ, আৰু সেই কাৰণে তেওঁৰ অৰ্হতাৰ লগত সংগতি ৰাখিহে বিজ্ঞাপনবোৰ লিখা হৈছে।.... মাহে ৩০০ টকা দৰমহাৰ সংখ্যা-বিজ্ঞানৰ লেকচাৰাৰপৰা শ্ৰীভট্টাচাৰ্য্যই ১৯৫৪ চনত (ট্ৰেজাৰাৰ হিচাবে) মাহে ৫০০ টকা, ১৯৫৯ চনত মাহে ৭১০ টকা আৰু ১৯৬১ চনত মাহে ১০০০ টকা দৰমহালৈ জঁপ মাৰিলে। আমাৰ মনত বিন্দুমাত্ৰ সন্দেহ নাই যে দহ বছৰতকৈ কম সময়ৰ ভিতৰতে এই ডেকা ল'ৰাজনক বিশ্ববিদ্যালয়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু ক্ষমতা-যুক্ত এটা পদলৈ ঠেলি-হেচুকি প্ৰমোচন দি বিশ্ববিদ্যালয়ে এটা মাৰাত্মক ভুল কাম কৰিছে। আমাৰ হাতত আহি পৰা প্ৰমাণৰপৰা এইটোও দেখা যায় যে এই ট্ৰেজাৰাৰ্জনক বিশ্ববিদ্যালয়ত প্ৰায়বোৰ মানুহেই খুব বেয়া পায়।' (২৫ পৃষ্ঠা)।

অথচ আচৰিত কথা এয়ে যে যিজন মানুহৰ কলমৰপৰা ওপৰৰ কথাখিনি ওলাইছিল, সেই ডঃ গোস্বামীয়েই উপাচাৰ্য্য হিচাবে শ্ৰীকৈলাশ চন্দ্ৰ ভট্টাচাৰ্য্যক ট্ৰেজাৰাৰ্ পদত বাহাল ৰাখিয়েই ক্ষান্ত হোৱা নাই, এসময়ত বহুতো প্ৰবীণ আৰু দেশ-বৰেণ্য অধ্যাপকৰ দাবী তল পেলাই এইজন লোককে 'কলেজৰ পৰিদৰ্শক' হিচাবেও নিয়োগ কৰিছিল, আৰু এতিয়া জনৰব শুনিবলৈ পোৱা গৈছে যে অলপতে হৈ যোৱা বিশ্ববিদ্যালয় আইন সংশোধনীৰ একমাত্ৰ উদ্দেশ্য হ'ল পৰোক্ষভাৱে শ্ৰীভট্টাচাৰ্য্যক ট্ৰেজাৰাৰ্ পদত স্থায়ী কৰা।

And Brutus is an honourable man!

দ্বিতীয়তে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসন-ব্যৱস্থাৰ সমালোচক হিচাবে ডঃ গোস্বামীয়ে বিশ্বাস কৰিছিল যে স্নাতকোত্তৰ শ্ৰেণীৰ সচিব পদৰ একো আৱশ্যক নাই; মাত্ৰ এজন চুপাৰিণ্টেণ্ডেণ্টেই সেই কাম চলাব পাৰে। কিন্তু এই প্ৰশাসনৰ মুৰব্বী হিচাবে মাত্ৰ সৌ সিদিনা এজন অৱসৰ-প্ৰাপ্ত লোকক তেওঁ নিয়োগ কৰিছে প্ৰফেচৰ পদৰ মৰ্য্যাদাৰে স্নাতকোত্তৰ শ্ৰেণীৰ সচিব হিচাবে।

And Brutus is an honourable man!

তৃতীয়তে, তদন্ত আয়োগৰ প্ৰতিবেদনত তেওঁ নিজেই বাৰে বাৰে কৈছিল যে গুৱাহাটীৰ দৰে এখন সৰু বিশ্ববিদ্যালয়ত একাডেমিক ৰেজিষ্ট্ৰাৰ্ আদি পদৰ একো দৰকাৰ নাই; অথচ তেওঁৰ দিনতেই এই পদকেইটা আগতকৈও বেছি গজগজীয়াহে কৰা হ'ল।

And sure Brutus is an honourable man!

আমাৰ আৰু বহুত কথা কবলৈ আছিল, কিন্তু স্থানাভাৱত এইবাৰৰ কাৰণে ইমানতে ক্ষান্ত হ'ব লগা হ'ল। আমি এইবোৰ পুৰণি কথা উকটি উলিওৱাৰ উদ্দেশ্য কাৰো বিৰুদ্ধে অনাহকত বিষোদ্গাৰ কৰা বা কাকো জনসাধাৰণৰ চকুত হেয় প্ৰতিপন্ন কৰা নহয়; আমাৰ একমাত্ৰ উদ্দেশ্য হ'ল বিশ্ববিদ্যালয়ৰ বৰ্তমান কৰ্তৃপক্ষক এই কথাটোকে স্মৰণ কৰাই দিয়া যে তদন্ত আয়োগৰ প্ৰতিবেদনখন কোনোবাই ফটা কাকতৰ খৰাহীত পেলাই দিলেও ৰাইজে পেলাই দিয়া নাই, আৰু এই প্ৰতিবেদনৰ পৰামৰ্শবোৰ কেনেভাৱে কাৰ্য্যকৰী কৰা হৈছে তাৰ প্ৰতি ৰাইজে তীক্ষ্ণ নজৰ ৰাখিছে। আয়োগৰ প্ৰতিবেদনত এই বুলি দুখ প্ৰকাশ কৰা হৈছিল যে –'অসমৰ বিদ্বৎ-সমাজ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতি বা তাৰ কাৰ্য্যাৱলীৰ প্ৰতি সম্পূৰ্ণ উদাসীন। দৰাচলতে কিছুমান মানুহৰ এই বিশ্ববিদ্যালয়ৰ প্ৰতি ঘৃণাৰ বাহিৰে আন একো মনোভাৱ নাই' (৬৫ পৃষ্ঠা)। এই কথাষাৰ আমাৰ মনত বৰকৈ লাগিছে, আৰু সেই কাৰণে আমি সকলো সময়তে এই বিশ্ববিদ্যালয়ৰ কাৰ্য্যাৱলীৰ প্ৰতি বিশেষভাৱে মনোযোগী হম বুলি সঙ্কল্প লৈছোঁ। এইবাৰলৈ আমি কেৱল

ইয়াকে কৈ সামৰিব খুজিছোঁ যে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই ওপৰত উল্লেখ কৰা ধৰণৰ কামবোৰ কৰি কথা আৰু কামৰ মাজত যি অবিশ্বাস্য বৈপৰীত্য দেখুৱাইছে, সেইবোৰে যাইকে বৰ্তমান উপাচাৰ্য্যজনৰ আদৰ্শ-নিষ্ঠা আৰু নৈতিক সততাক আমাৰ বহুতৰে চকুত সন্দেহ-ভাজন কৰি তুলিছে আৰু তেওঁৰ নেতৃত্বত বিশ্ববিদ্যালয়ৰ ভৱিষ্যৎ সম্পৰ্কে আমি সন্দিহান হৈ উঠিছোঁ। ডঃ গোস্বামীয়ে সমালোচক হিচাবে পোষণ কৰা মতবোৰ নিজে উপাচাৰ্য্য হৈয়েই বিশ্ববিদ্যালয়ৰ পৰিস্থিতিৰ কি কি পৰিবৰ্তনৰ ফলত এনেভাৱে সলনি কৰিব লগা হ'ল—সেই কথা আমি তেখেতৰপৰা জানিব খোজোঁ। তেখেতৰ নিজৰ ভাষাতেই আমি তেখেতক স্মৰণ কৰাই দিব খোজোঁ যে .... A public institution like the University could not command the respect of the enlightened people of the state without such a clear contradiction (৫ পৃষ্ঠা)। মাচুল বৃদ্ধিৰ প্ৰতিবাদত যি স্থলত ছাত্ৰই অনশন-ধৰ্মঘট কৰিব লগা হয় সেই অৱস্থাত কেইজনমান অনাৱশ্যক মানুহক হাজাৰ হাজাৰ টকা দি পুহি ৰাখিবলৈ বিশ্ববিদ্যালয়ৰ কোনো নৈতিক অধিকাৰ নাই।

জ্ঞাননাথ বৰা

জ্ঞাননাথ বৰাৰ পৰলোক-প্ৰাপ্তিৰ লগে লগে এটা যুগৰেই অন্ত পৰিল। সেই যুগটো হ'ল অসমৰ মাটিত পূব আৰু পশ্চিমৰ সমন্বয়-সাধনৰ যুগ, অসমৰ থলুৱা সংস্কৃতি আৰু ঐতিহ্যৰ সাৰুৱা মাটিত পশ্চিমৰ আধুনিক চিন্তাৰ বীজ ৰোপণ কৰাৰ যুগ। এই যুগটোৱে অসমীয়া সমাজত যি এটা নতুন মানসিক আৰু সাংস্কৃতিক আভিজাত্যৰ জন্ম দিছিল, তাৰ মূৰ্ত প্ৰতীক আছিল 'সাৰথি'ৰ প্ৰাতঃ স্মৰণীয় লিখক সত্যনাথ বৰাৰ সুযোগ্য পুত্ৰ 'যুগতত্ত্ব'ৰ লিখক জ্ঞাননাথ বৰা। পিন্ধনে-উৰণে, খোজে-কাটলে, কথা-বাৰ্তাই তেওঁ আছিল অভিজাত আৰু সু-সংস্কৃত অসমীয়া জীৱন-চৰ্য্যাৰ জীৱন্ত প্ৰতিমূৰ্ত্তি। চিন্তা-বিমুখ আৰু পদে পদে পৰানুসৰণকাৰী অসমীয়া সমাজত তেওঁ আৰু এটা কাৰণে উল্লেখযোগ্য ব্যতিক্ৰম আছিল – সেইটো হৈছে তেওঁৰ মৌলিক চিন্তাশীলতা আৰু অপ্ৰিয় আদৰ্শৰ হকে মাত মাতিবৰ সাহস। সনাতন ভাৰতীয় সংস্কৃতিৰ একনিষ্ঠ পূজাৰী এই মানুহজনে আজিৰ পৰা দুকুৰি বছৰৰ আগতে প্ৰশ্ন তুলিছিল ঃ 'অসম ভাৰতবৰ্ষৰ ভিতৰত থাকিব কিয়?' – শেষ বয়সত তেওঁৰ একমাত্ৰ স্বপ্ন আছিল অসমৰ মাটিত অসমীয়া ভাষাৰ সংগমত বিভিন্ন জাতি-উপজাতিৰ ধাৰাৰ মহামিলন। আত্ম-সংযম মহৎ কলা আৰু মহৎ জীৱনৰ ঘাই লক্ষণ – সেই সংযম ফুটি উঠিছিল জ্ঞাননাথ বৰাৰ প্ৰতিটো কথাত, প্ৰতিটো আচৰণত, প্ৰতিখন ৰচনাত। তেওঁৰ মৃত্যুত অসমীয়া সমাজৰ জেউতি বহুখিনি হেৰাই গ'ল, এটা মহিমা-মণ্ডিত যুগৰ অন্ত পৰিল। আমি তেওঁৰ স্বৰ্গীয় আত্মাৰ সদ্‌গতি কামনা কৰিছোঁ।

নতুন দিল্লীৰ উদ্দেশ্যে এটি সাৱধান বাণী

ভাৰত চৰকাৰে খাটাংকৈ কৈ দিছে যে অসমত দ্বিতীয় তেল শোধনাগাৰ পতা নহ'ব। ৰাম নৌ ওপজোঁতেই ৰামায়ণ হোৱাৰ দৰে শোধনাগাৰ স্থাপনৰ বিষয়ে পৰীক্ষা-নিৰীক্ষা নৌ হওঁতেই যে ভাৰত চৰকাৰে অসমত তেল শোধনাগাৰ নাপাতোঁ বুলি ঠিক কৰি ৰাখিছে – সেই বিষয়ে অসমৰ ৰাইজৰ মনত কোনো সন্দেহ নাই। কিন্তু Hope springs in the human breast, – অসমতো কাৰো কাৰো মনত শেষ মুহূৰ্ত পৰ্য্যন্ত এটা ক্ষীণ আশা আছিল যে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে অসমৰ সদৌ ৰাইজৰ সম্মিলিত দাবী আৰু অৰ্থনীতিৰ অকাট্য যুক্তি ইমান ৰূঢ়ভাৱে উপেক্ষা কৰিবলৈ ভাৰত চৰকাৰে হয়তো সাহস নকৰিব। কিন্তু সেই আশা সম্পূৰ্ণ মিছা বুলি প্ৰমাণিত হ'ল।

এতিয়া অসমৰ ৰাইজৰ সমুখত একমাত্ৰ প্ৰশ্ন ঃ ইয়াৰ পাচত আমি কি কৰিম? অনিচ্ছুক দাতাৰ হাতৰপৰা ন্যায্য প্ৰাপ্য আদায় কৰিবলৈ মানুহৰ সন্মুখত দুটাই মাত্ৰ পথ খোলা থাকে ঃ এটা হ'ল যুক্তি-তৰ্ক আৰু আলাপ-আলোচনাৰ পথ, আনটো হ'ল জোৰ্-জবৰ্দস্তিৰ পথ। যুক্তি-তৰ্ক বা আলাপ-আলোচনা কৰিবলৈ অসমৰ চৰকাৰে আৰু জনসাধাৰণে একোটোৱেই বাকী ৰখা নাই; বছৰৰ পাচত বছৰ ধৰি অসম চৰকাৰে আৰু ৰাইজে অসমত দ্বিতীয় এটা শোধনাগাৰ পাতিব লাগে বুলি ভাৰত চৰকাৰৰ ওচৰত কাবৌ-

কাকুতি কৰাৰ লগে লগে অকাট্য অৰ্থনৈতিক যুক্তিও দাঙি ধৰি আহিছে, কিন্তু ভাৰত চৰকাৰে কঢ়া অভিভাৱকৰ উদ্ধত মুখ-ভঙ্গীৰে অসম চৰকাৰৰ সকলো আবেদন-নিবেদন ল'বাৰ ল'ৰা কথা বুলি উকলাই দি আহিছে। অসমৰ নেতাসকলো আচলতে এতিয়াও ইমান নাবালক হৈ আছে যে তেওঁলোকে নিজৰ পক্ষত অখণ্ডনীয় যুক্তি থকা সত্ত্বেও ন্যায়-সঙ্গত স্বাধিকাৰ প্ৰতিষ্ঠাৰ দাবীত দৃপ্ত কণ্ঠেৰে গৰজি উঠিব নোৱাৰে, তেওঁলোকে কেৱল অবোধ অভিমানী শিশুৰ দৰে আবদাৰ কৰিবহে জানে। সি যি কি নহওক, অলপতে লোক-সভাত তেল-মন্ত্ৰী শ্ৰীৰঘু ৰামায়াই কৰা ঘোষণাই যদি ভাৰত চৰকাৰৰো শেষ কথা হয়, তেনেহ'লে বুজিব লাগিব যে এই সম্পৰ্কত আলাপ-আলোচনাৰ সকলো পথ সদ্যহতে সম্পূৰ্ণ বন্ধ হৈ গৈছে। তাৰ অৰ্থ এয়েই যে অসমৰ বাইজৰ সম্মুখত খোলা আছে কেৱল গণ-আন্দোলনৰ পথ।

গণ-আন্দোলন হয়তো হ'ব। ভাগ্যৰ কি নিষ্ঠুৰ পৰিহাস যে জাতীয় জীৱনৰ সৰ্বাঙ্গীণ বিকাশৰ আশা কৰিয়েই অসমীয়া জাতিয়ে এদিন চৰম আত্মত্যাগ কৰি দেশ স্বাধীন কৰিলে, কিন্তু আজি স্বাধীন ভাৰতবৰ্ষত পদে পদে আন্দোলন নকৰাকৈ বা দুখ-ভোগ নকৰাকৈ অসমৰ জনসাধাৰণে নিজৰ প্ৰাপ্য একোটোকেই নোপোৱা হৈছে। এই ঘটনাই যে অসমৰ বাইজৰ মন কেনেভাবে ভাঙি দিছে আৰু তেওঁলোকৰ মনৰ গভীৰ আত্মবিশ্বাসৰ আৰু অসন্তুষ্টিৰ বিহগুটি গজিছে। সেই কথা ভাৰত চৰকাৰে উপলব্ধি কৰিবলৈ সক্ষম নোহোৱাটো সমগ্ৰ ভাৰত ৰাষ্ট্ৰৰ পক্ষেই এক চৰম দুৰ্ভাগ্যৰ বিষয়। সি যি কি নহওক, অসমৰ বাইজে দ্বিতীয় শোধনাগাৰ স্থাপনৰ দাবীত খেৰৰ জুইৰ দৰে হয়তো এবাৰ দপ্দপাই জ্বলি উঠিব আৰু সেই একে ভমকতে শোধনাগাৰ হ'লেও হ'ব, নহ'লেও নাই। আমি অৱশ্যে ভাৰত চৰকাৰৰ মতি-গতি দেখি অসমত শোধনাগাৰ হোৱাৰ আশা বাদেই দিছো। কাৰণ কেন্দ্ৰীয় চৰকাৰৰ বৰ্তমান নেতাসকলে নিজৰ ৰাজনৈতিক বিচক্ষণতা, সংবেদনশীলতা আৰু কল্পদৃষ্টিৰ অভাৱখিনি পূৰাব খুজিছে কঢ়া কথা আৰু মইমতালী স্বভাৱেৰে – আৰু প্ৰয়োজন হ'লে নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰাৰ দৰে তেওঁলোকে অসমত দ্বিতীয় তেল শোধনাগাৰৰপৰা বঞ্চিত কৰাৰ কাৰণে কিছুদিনলৈ শোধনাগাৰ স্থাপন প্ৰস্তাৱটো স্থগিত ৰাখিবলৈকো কুণ্ঠিত নহ'ব পাৰে।

ভাৰত চৰকাৰে প্ৰকৃতাৰ্থত কি বিচাৰে? কেইকোটিমান টকা অধিক লাভ অথবা অসমৰ জনসাধাৰণৰ আন্তৰিক আনুগত্য আৰু আত্মীয়তাবোধ? এই প্ৰশ্নৰ মীমাংসা তেওঁলোকে অতি সোনকালেই কৰিব লাগিব। লগতে তেওঁলোকে এই কথাও সততে মনত ৰাখিব লাগিব যে কেৱল স্থূল বেপাৰী বুদ্ধিৰে ভাৰতীয়সকলৰ দৰে এটা বিৰাট মহাজাতিক পৰিচালনা কৰিব নোৱাৰি। অসমত দ্বিতীয় শোধনাগাৰ স্থাপনৰ প্ৰশ্নটো কেৱল অৰ্থনৈতিক বিশেষজ্ঞৰ সমস্যা নহয়, প্ৰকৃততে ই হ'ব ভাৰত ৰাষ্ট্ৰৰ বৰ্তমানৰ নায়কসকলৰ ৰাজনৈতিক কল্পদৃষ্টি আৰু সংবেদনশীলতাৰ এক দুৰুহ অগ্নিপৰীক্ষা।

আমি কি কৰিব পাৰোঁ (১)

অষ্টম সংখ্যা সাপ্তাহিক নীলাচলৰ সম্পাদকীয় প্ৰবন্ধত এটা গভীৰ হতাশাৰ সুৰ ফুটি উঠিছিল। তাত আমি ক'বলৈ বাধ্য হৈছিলোঁ যে যুগ যুগ ধৰি নিষ্পেষিত আৰু অৰ্ধ-মৃত ভাৰতীয় প্ৰজাই অন্যায়-অবিচাৰৰ বিৰুদ্ধে যুঁজ কৰাৰ কোনো আশা নাই; এই সকলোবোৰ অভিশাপ নীৰৱে মূৰ পাতি লৈ আধা-মৰা অৱস্থাত জীয়াই থকাটোৱেই বোধহয় আমাৰ একমাত্ৰ বিধিলিপি।

আমাৰ পক্ষে অতিশয় আশা আৰু আনন্দৰ কথা এই যে এই সম্পাদকীয় প্ৰবন্ধ প্ৰকাশ হোৱাৰ এসপ্তাহৰ ভিতৰতে অসমৰ বিভিন্ন ঠাইৰ বিভিন্ন বন্ধুৱৰ্গই এই সম্পৰ্কত আমি কেইবাখনো চিঠি পালোঁ। (নমুনা হিচাবে দুখন চিঠি এই সংখ্যা কাকতত প্ৰকাশ কৰা হৈছে; শ্ৰীমহেশ চন্দ্ৰ দেৱগোস্বামী লিখিত এখন চিঠি বিশেষ কাৰণত বহুত বছৰৰ পাচতহে প্ৰকাশ কৰা সম্ভৱ হ'ব আৰু চিঠিখন সেইভাৱে লিখাও হৈছে)। এই চিঠিবোৰত ইমান সোনকালে হতাশাৰ ভাব প্ৰকাশ কৰাৰ কাৰণে আমাক ভৰ্ৎসনা কৰা হৈছে, আৰু অপৰাজেয় মানবাত্মাৰ সংগ্ৰামী শক্তি আৰু উজ্জ্বল ভৱিষ্যতৰ ওপৰত অবিচলিত আস্থা প্ৰকাশ কৰা হৈছে। কোৱা বাহুল্য মাথোন যে তেখেতসকলৰ এই আশাবাদ অতিশয় প্ৰশংসনীয় আৰু এই আশাৰ বাণীয়ে আমাকো উৎসাহিত কৰিছে। তথাপিতো আমাৰ প্ৰশ্ন থাকি যায় : তেখেতসকলৰ এই আশাবাদ কিমানদূৰ কেৱল আবেগৰ উচ্ছ্বাস, আৰু কিমানদূৰ সি যুক্তি পৰ্য্যবেক্ষণ আৰু অভিজ্ঞতাৰ ভেটিত প্ৰতিষ্ঠিত? এই আশা বুকুত ধাৰণ কৰি থাকিলেই জানো নতুন সুখী জীৱনৰ সোণৰ দুৱাৰ আমাৰ কাৰণে আপোনা-আপুনি মুকলি হৈ যাব?

আমাৰ হতাশাৰ কিন্তু বহুত যুক্তি আছে। তাৰ আগতে এটা উদাহৰণ দি লওঁ। এই কথা জগতে জানে যে আমি অসমীয়া মানুহবোৰ কানীয়া, সোৰোপা আৰু মুখৰ মাত নোহোৱা। আজি তিনি মাহ মুকলি বজাৰত চফা কেৰাচিন তেল নাই, ক'লা বজাৰত এটকা লিটাৰত তেল কিন্তু উভৈনদী, অথচ বাতৰি কাকতত দুই এখন চিঠি লিখাৰ বাহিৰে আমি এই অমাৰ্জনীয় সামাজিক অপৰাধৰ অন্য কোনো প্ৰতিকাৰৰ কথা চিন্তা কৰিব নোৱাৰোঁ। আমাৰ চকুৰ আগতে অসমৰ সকলোবোৰ উদ্যোগ আৰু কেন্দ্ৰীয় চৰকাৰী কাৰ্য্যালয়সমূহত কৰ্ম-সংস্থাপনৰ দুৱাৰ থলুৱা লোকৰ মুখৰ আগতে এখন এখনকৈ বন্ধ হৈ গৈছে, আমাৰ আধা-পেটী ডেকা ল'ৰাই শুদা হাতেৰে ঘৰলৈ ঘূৰি আহি মাক-বাপেকৰ আগত কেঁচুৱাৰ দৰে কেৱল ফেকুৰি কান্দিছে। দুৰ্নীতিগ্ৰস্ত আৰু অকৰ্মণ্য শাসন-ব্যৱস্থাৰ নানাবিধ অপকৰ্মৰ উদাহৰণ এটা এটাকৈ বাতৰি কাকতৰ যোগেদি ৰাইজক জনাই থকা হৈছে, কিন্তু সেইবোৰৰ প্ৰতিবাদত কোনো এজন পাঠকৰপৰা এখন চিঠি পৰ্য্যন্ত নাই। ৰাইজৰ এই চৰম উদাসীনতাৰ সুযোগ লৈ চৰকাৰো নিৰ্বিকাৰ আৰু বে-পৰোৱা। অমাৰ্জনীয় চৰকাৰী দুৰ্নীতিৰ বিৰুদ্ধে ৰাইজৰ যদি কোনো আপত্তি নাই, তেন্তে সামান্য বাতৰি কাকতৰ ঢোৰা সাপৰ ফোচ্‌ফোচনি কোনে ভয় কৰে?..... মুঠতে শোষণ, অন্যায় আৰু অবিচাৰক অসমৰ মানুহে facts of life বা জীৱনৰ স্বাভাৱিক অৱস্থা বুলি ধৰি লৈছে। এনে অৱস্থাত যে আমাৰ এই অৰ্ধ-মৃত অস্তিত্বৰ কোনো প্ৰকাৰৰ পৰিবৰ্তন সম্ভৱ নহয়, সেই বিষয়ে অন্ততঃ আমাৰ মনত কোনো সন্দেহ নাই।

আমাৰ বাক এবো পৰিবৰ্তন নহয়, কাৰণ তাৰ কাৰণে আমি চেষ্টা নকৰোঁ। কিন্তু যিসকলে চেষ্টা কৰিছে, যুদ্ধ কৰিছে, অন্যায়ৰ বিৰুদ্ধে প্ৰচণ্ডভাবে প্ৰতিবাদ কৰিছে, তেওঁলোকৰ কি লাভ হৈছে? উদাহৰণ স্বৰূপে কলিকতা মহানগৰীৰ কথাই ধৰক। কলিকতা মহানগৰী সামাজিক প্ৰতিবাদৰ আৰু অন্যায়ৰ বিৰুদ্ধে বিৰাম-বিহীন সংগ্ৰামৰ এটা জলন্ত প্ৰতীক। এপইচাকৈ ট্ৰামৰ ভাৰা বাঢ়িলেও তাত ন-দহ খন ট্ৰাম মানুহে পুৰি ছাই কৰি পেলায়, এজন বনুৱাক কোনোবাই অন্যায় কৰি কামৰপৰা খেদিলেও এঘণ্টাৰ ভিতৰতে তাৰ অবিশ্বাস্য ভয়ঙ্কৰ ৰাজপথত এক লাখ মানুহৰ প্ৰতিবাদ-মিছিল বাহিৰ হয়, বছৰৰ বাৰটা মাহতে দিনে-নিশাই কলিকতাৰ আকাশ-বতাহ মুখৰিত হৈ থাকে ক্ৰোধোন্মত্ত জনতাৰ ৰণ-হুঙ্কাৰেৰে, বিপ্লৱৰ জয়ধ্বনিৰে, টেঁটু-ফলা চিঞৰেৰে। কলিকতাৰ বুদ্ধিজীবীসকল সমগ্ৰ পৃথিবীৰ ভিতৰতেই আটাইতকৈ সমাজ-সচেতন, ক্ৰুদ্ধ আৰু বিপ্লৱী-ভাবাপন্ন বুলি জনাজাত। অথচ সেই কলিকতাত এই অবিৰাম সংগ্ৰামৰ ফলস্বৰূপে তাৰ জনসাধাৰণে জীয়াই থকাৰ মৌলিক অধিকাৰ কিমানদূৰ আদায় কৰিবলৈ সমৰ্থ হৈছে? এজন বিদেশী সাংবাদিকে আমাক জনাইছে যে (ভাৰতৰ বিষয়ে সকলো জ্ঞাতব্য তথ্য আমি বিদেশী মানুহৰ পৰাহে জানো) 'কলিকতাত বিলাস-সম্ভোগ আৰু দাৰিদ্ৰ্যৰ অবিশ্বাস্য পাৰ্থক্যই নতুনকৈ অহা যিকোনো মানুহকে হতবাক কৰি তোলে – অতুল্য ঘোষে কয় যে আমি ইন্দুৰৰ দৰে জীয়াই আছোঁ, কিন্তু তেওঁ তেওঁৰ সেই উক্তিক যোৱা কুৰি বছৰৰ কংগ্ৰেছ শাসনৰ ওপৰত এটা ৰায় বুলি ভাবি নাচায়..... যোৱা কুৰি বছৰত কলিকতাৰ মাত্ৰ ৫ মাইল নতুন ৰাস্তা নিৰ্মাণ কৰা হৈছে .... যোৱা কুৰি বছৰৰ ভিতৰত দৰিদ্ৰ মানুহৰ বাহন জৰা-জীৰ্ণ ট্ৰাম্-বাছবোৰ সলনি কৰিবলৈ কোনো ব্যৱস্থা লোৱা নাই বা এখনো নতুন ট্ৰাম বা বাছ কিনা হোৱা নাই ... যোৱা কুৰি বছৰৰ ভিতৰত কলিকতাত এখনো নতুন স্কুল স্থাপন হোৱা নাই, ... ন বছৰৰ আগতে আন্তৰ্জাতিক স্বাস্থ্য-বিশেষজ্ঞসকলে কৈছিল যে মানব-সভ্যতাৰ বৰ্তমান স্তৰত অশোধিত পানী খোৱাৰ বিপদ সম্পৰ্কে কাকো সাৱধান কৰি দিয়াৰ নিশ্চয় প্ৰয়োজন নাই; কিন্তু কলিকতাৰ সহস্ৰ-সংখ্যক অধিবাসীক এই অশোধিত পানীকে খাবলৈ বাধ্য কৰোৱা হয়; কিন্তু এই উক্তি কৰাৰ ন বছৰৰ পিছত কলিকতাৰ পানী-যোগান ব্যৱস্থাৰ উন্নতি হোৱা দূৰৰ কথা, বেছি অৱনতিহে ঘটিল; অনাটনৰ সময়ত কলিকতাত খাদ্য-বস্তুৰ দাম ভাৰতৰ সকলো ঠাইতকৈ বেছি হয়, আৰু যোৱা বছৰ চাউলৰ দাম ১৯৪৩ চনৰ দুৰ্ভিক্ষৰ সময়তকৈ বেছি হৈছিল... এইটো বৰ খাপ-খোৱা কথা হৈছে যে কলিকতাৰ অধিষ্ঠাত্ৰী দেৱী হ'ল কালী – মৃত্যুৰ দেৱী – ঘোৰ অমানিশাৰ প্ৰতীক – যি দেৱীয়ে জগতৰ সমস্ত বস্তুকে ভক্ষণ কৰে; কলিকতাৰ কৰ্ত্তী নৰকৰ নামান্তৰ মাত্ৰ।'

কলিকতাৰ স্বাধিকাৰ-সচেতন বিপ্লৱী জনতাই যদি দিনে-নিশাই চিঞৰ-বাখৰ কৰি তেওঁলোকৰ মহানগৰীৰ বা জীৱন-ধাৰাৰ এইখিনি পৰিৱৰ্তনহে কৰিবলৈ সমৰ্থ হৈছে, তেন্তে আমাৰ দৰে কেৱল বাতৰি কাকতৰ 'সম্পাদকলৈ চিঠি'ৰ শিতানত বিপ্লৱ কৰা বা গৃহিণীৰ আগত বীৰত্ব দেখুওৱা মানুহবোৰে কি কৰিবলৈ আশা কৰিব পাৰোঁ? চৰকাৰী প্ৰতিবেদনত জাতীয় আয় বহুৰি বহুৰি বাঢ়ি যোৱা সত্ত্বেও আমাৰ প্ৰত্যেকৰে ঘৰে ঘৰে যেতিয়া টেকেলি কাটি হৈ বাব ধৰিছে, তেতিয়া আমি কোনটো ভৱিষ্যতলৈ আশাৰ চকুৰে চাব পাৰোঁ? প্ৰথমতে যেতিয়া পঞ্চবাৰ্ষিকী পৰিকল্পনাবোৰ আৰম্ভ কৰা হৈছিল আৰু ফলত নিত্য-ব্যৱহাৰ্য্য বস্তুবোৰ দুষ্প্ৰাপ্য হৈ পৰিছিল, স্বৰ্গীয় নেহৰুৱে দেশবাসীক আহ্বান কৰিছিল উত্তৰ পুৰুষৰ কাৰণে নিজৰ ভোগ-বাসনা ত্যাগ কৰিবৰ কাৰণে; কিন্তু যোৱা একৈশ বছৰে ত্যাগ কৰি কৰি আমি আজি দিগম্বৰ

সন্ন্যাসীত পৰিণত হৈছোঁহঁক; ১৯৪৭ চনত ওপজা যি শিশু আজি একৈশ বছৰীয়া যুবক, তাৰ পৰিচয় কেৱল ত্যাগৰ লগত, অভাব-অনাটনৰ লগত, অন্ধকাৰৰ লগত; জীৱনৰ সৰ্বশ্ৰেষ্ঠ বছৰবোৰ এক অজাত উত্তৰ পুৰুষ আৰু অনাগত ভৱিষ্যতৰ বেদীত বলি দি সি আজি জীৱনৰ প্ৰতি বীতস্পৃহ, উচ্ছৃঙ্খল আৰু ধ্বংসকামী উন্মাদ। আৰু আমি কিমান দিন ত্যাগ কৰিম? আৰু কিমান দিন অপেক্ষা কৰি ৰ'ম সেই বহু-প্ৰতিশ্ৰুত শুভ দিনৰ কাৰণে— যিদিনা এমুঠি চাউল বা এবটল কেৰাচিন তেলৰ কাৰণে দোকানীৰ গালি-শপনি নীৰৱে সহ্য কৰি বজাৰত বিকিবলৈ অনা গৰুৰ দৰে শাৰী পাতি থকাৰ অমানৱীয় অৱমাননাৰপৰা আমি মুক্তি পাম, যিদিনা আমি মানুহৰ দৰে জীয়াই থাকিবৰ কাৰণে পদে পদে এক সহানুভূতিহীন যান্ত্ৰিক আমোলা-তন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল নহম, যিদিনা বেপাৰী আৰু শাসক দল সম্মিলিত পাপ-চক্ৰই দুখীয়া ৰাইজৰ তেজ শোষণ কৰা চিৰকালৰ কাৰণে অন্ত পৰিব?

এই প্ৰশ্নবোৰ আমি নতুনকৈ খুব গভীৰভাবে ভাবিব লগা হৈছে। কাৰণ গণতন্ত্ৰৰ নামত আজি দেশত যি নব্য-সামন্ততন্ত্ৰ চলিব লাগিছে, তাৰ দ্বাৰা ভাৰতৰ কোটি কোটি দৰিদ্ৰ জনসাধাৰণৰ কাৰণে নতুন জীৱন অনাৰ কোনো আশাই নাই বুলি আমি এতিয়া কব পৰা হৈছোঁ। অৱস্থাই দিনে দিনে বেছি বেয়ালৈহে ঢাল লৈছে। আনহাতে দেশৰ বিভিন্ন ঠাইত দেখা দিছে হিংসাত্মক বিক্ষোভৰ পূৰ্বাভাস। আজি হয়তো সি ফিৰিঙতি হৈ আছে, কিন্তু অনুকূল বতাহ পালে দাবানল হৈ উঠিবলৈ তাৰ বেছি পৰ নালাগিব। সেইটো যদি কেনেবাকৈ হবলৈ হয়, তেন্তে তাতোকৈ ভয়ঙ্কৰ সম্ভাৱনাৰ কথা কল্পনাই কৰিব নোৱাৰি। মুঠতে আমি এটা ঐতিহাসিক যুগ-সন্ধিত উপনীত হৈছোঁ, আৰু এই সময়খিনি আবেগময় আশাবাদৰ বা ধৈৰ্য্যশীল প্ৰতীক্ষাৰ বা নীৰৱ প্ৰাৰ্থনাৰ সময় নহয়, ই হ'ল ভাৰতীয় গণতন্ত্ৰৰ ভৱিষ্যতৰ বিষয়ে নতুনকৈ অতি গভীৰভাৱে, কঠিনভাৱে, দুঃসাহসেৰে চিন্তা কৰাৰ সময়।

আমি কি কৰিব পাৰোঁ (২)

এই শিতানৰ প্ৰথম প্ৰবন্ধত (সাঃ নীঃ, ১১ ডিচেম্বৰ) আমি কৈছিলোঁ যে ভাৰতীয় গণতন্ত্ৰৰ ভৱিষ্যতৰ বিষয়ে নতুনকৈ চিন্তা কৰাৰ সময় আহি পৰিছে। নামত গণতন্ত্ৰ হ'লেও কামত ই একপ্ৰকাৰৰ নব্য-সমাজতন্ত্ৰত পৰিণত হৈছে, আৰু ইয়ে কেতিয়াবা ভাৰতীয় ৰাইজৰ কিবা মঙ্গল সাধি দিব তাৰ কোনো আশা নাই। এই কথা কোৱাৰ অৰ্থ অৱশ্যে এই নহয় যে আমি গণতন্ত্ৰৰ কিবা বিকল্প বিচাৰিছোঁ, বা গণতন্ত্ৰ বিৰোধী কিবা উপায়েৰে যথাসম্ভৱ দ্ৰুতগতিৰে দাৰিদ্ৰ্য দূৰ কৰি সামাজিক ন্যায় আৰু সততা প্ৰতিষ্ঠা কৰিব খুজিছোঁ। আমাৰ কাকতৰ প্ৰথম সংখ্যাতেই আমি ঘোষণা কৰি থৈছোঁ যে আমি মনে-প্ৰাণে গণতন্ত্ৰত বিশ্বাস কৰোঁ, কাৰণ গণতন্ত্ৰৰ বাহিৰে আন কোনো প্ৰকাৰৰ সমাজ-ব্যৱস্থাই আমাৰ প্ৰাণাধিক প্ৰিয় মানবীয় মৰ্য্যাদা আৰু স্বাধীনতাৰ সম্পূৰ্ণ প্ৰতিশ্ৰুতি দিব নোৱাৰে। কিন্তু তাৰ লগত আমি এই কথাও যোগ দিব খোজোঁ যে ৰাইজৰ উপকাৰত আহিব পৰা প্ৰকৃত গণতন্ত্ৰতহে বিশ্বাস কৰোঁ, ৰাইজৰ চকুত ধূলি দিবৰ কাৰণে ব্যৱহাৰ কৰা নকল গণতন্ত্ৰত বিশ্বাস নকৰোঁ।

আমি এতিয়া এই কথাই ক'ব খুজিছোঁ যে সম্প্ৰতি ভাৰতত গণতন্ত্ৰক ৰাইজৰ মঙ্গল সাধনৰ কাৰণে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে ৰাইজৰ চকুত ধূলি দিবৰ কাৰণেহে ব্যৱহাৰ কৰা হৈছে। এই কথা অৱশ্যে ঠিক যে ভাৰতবৰ্ষত গণতন্ত্ৰৰ প্ৰথম চৰ্ত সম্পূৰ্ণভাৱে পালন কৰা হৈছে, অৰ্থাৎ এই দেশত প্ৰাপ্ত-বয়স্ক সকলো মুনিহ-তিৰোতাকে ভোট দিয়াৰ অধিকাৰ দিয়া হৈছে। এই কথাও ঠিক যে চাৰিটাকৈ সাধাৰণ নিৰ্বাচনত কোটি কোটি ভাৰতীয় মুনিহ-তিৰোতাই শান্তিপূৰ্ণভাৱে অংশ গ্ৰহণ কৰি বাহিৰৰ পৰা দেখাত ভাৰতীয় গণতন্ত্ৰৰ ভেটি অতি সু-দৃঢ় কৰি তুলিছে। কিন্তু লেঠা লাগিছে ঠিক এইখিনিতেই। ভাৰতীয় গণতন্ত্ৰৰ ভেটিটো দেখাতহে খুব সুদৃঢ়, দূৰৰ পৰা দেখিলে এনে ভাব হোৱা একো আচৰিত কথা নহয় যে ইমান সুদৃঢ় ভেটিৰ ওপৰত নিৰ্মিত যিকোনো ইমাৰৎ অন্ততঃ হাজাৰ হাজাৰ বছৰ ধৰি সগৰ্বে মূৰ তুলি থাকিব পৰাৰ বিষয়ে কোনো সন্দেহেই থাকিব নোৱাৰে। কিন্তু নিৰ্মোহ আৰু নিৰপেক্ষ মনেৰে অলপ ওচৰ চাপি পৰীক্ষা কৰিলে দেখা যাব যে দূৰৰ পৰা দেখাত সুদৃঢ় আৰু কঠিন যেন লগা এই ভেটিৰ মাত্ৰ কেইহাতমান তলতেই আছে এটা বিৰাট পিতনি, – সেই পিতনি হ'ল অশিক্ষা, দাৰিদ্ৰ্য, সামাজিক চেতনাৰ অভাৱ, গণতান্ত্ৰিক পৰম্পৰাৰ অভাৱ, সংকীৰ্ণ সাম্প্ৰদায়িক আনুগত্য আৰু পুঁজিবাদী চক্ৰান্ত আদি এশ এটা অন্তঃস্ৰোতা মলবাহিনী জলধাৰাই সৃষ্টি কৰা গভীৰ আৰু বিস্তীৰ্ণ পিতনি। সামান্য এটা সামাজিক ভূমিকম্প হ'লেই ভাৰতৰ গণতন্ত্ৰৰ ভেটি চকুৰ পচাৰতে তললৈ বহি পৰিব আৰু এই পিতনিৰ গৰ্ভত সম্পূৰ্ণ অদৃশ্য হৈ যাব। গতিকে কোটি কোটি মানুহে নীৰৱে আৰু শান্তভাৱে নিৰ্বাচনী কেন্দ্ৰলৈ গৈ বেলট কাগজত ভোটৰ কাগজখন পেলাই দিয়া দেখিয়েই যিসকল লোকে আত্মপ্ৰসাদ লাভ কৰিছে বা ভাৰতীয় গণতন্ত্ৰৰ মহিমাকীৰ্ত্তনত পঞ্চমুখ হৈ উঠিছে তেওঁলোকৰ আশাবাদ বা আশুতোষ-স্বভাৱ প্ৰশংসনীয় হ'লেও চিন্তা-শক্তি আৰু দূৰদৃষ্টি কিন্তু পূৰামাত্ৰাই সন্দেহৰ বিষয়।

মুঠ কথা এয়েই যে ভাৰতবৰ্ষত এটা ভুৱা গণতন্ত্ৰ চলিছে, কাৰণ ভোট দিয়াৰ বাহিৰে এই গণতন্ত্ৰত ভাৰতৰ জনসাধাৰণৰ কোনো অংশ নাই। গণতন্ত্ৰ মানেই ৰাইজৰ শাসন আৰু ভোটদান এই ৰাইজৰ শাসনৰ আৰম্ভণি মাত্ৰ, শেষ কেতিয়াও নহয়। কিন্তু ভাৰতবৰ্ষত ভোট দিয়াৰ লগে লগেই গণতন্ত্ৰৰ লগত ৰাইজৰ সম্পৰ্কৰ ওৰ পৰে, তাৰ পিছত যি আৰম্ভ হয় সি হ'ল তথাকথিত গণতান্ত্ৰিক চৰকাৰৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজ পদে পদে উপেক্ষিত, অত্যাচাৰিত আৰু অপমানিত হোৱাৰ করুণ ইতিহাস। এইখিনিতে স্বাভাৱিকতেই এটা প্ৰশ্ন উঠিব পাৰে যে সৰ্বসাধাৰণ ৰাইজে ভোট দি প্ৰতিনিধি নিৰ্বাচন কৰি দিয়াৰ বাহিৰেনো আৰু কি

প্ৰকাৰে ৰাষ্ট্ৰৰ শাসন-ব্যৱস্থাত অংশ গ্ৰহণ কৰিব পাৰে? স্থানীয় স্বায়ত্ত শাসনৰ কাৰণে চৰকাৰে পৌৰ সভা আৰু পঞ্চায়ত আদিৰ দৰে গণতান্ত্ৰিক সংগঠনৰ ব্যৱস্থা দেখোন কৰি দিছেই। ভাৰতৰ বেছিভাগ পৌৰসভাৰে ইতিহাস ইমান কলংকিত যে সেই বিষয়ে ক'বলৈ আৰম্ভ কৰিলে সহজে কথাৰ ওৰ নপৰিব; দ্বিতীয়তে দেশত বৰ্তমান প্ৰচলিত পঞ্চায়ত ব্যৱস্থা কণা হাঁহক পতান দি ভুৱা দিয়াৰ বাহিৰে আন একো নহয়। ভৱিষ্যতে এই বিষয়ে কেতিয়াবা আলোচনা কৰা হ'ব। এতিয়া আমি প্ৰথম আৰু মাই কথাটোলৈকে আহোঁ। এই কথা ঠিক যে ভোট দি প্ৰতিনিধি নিৰ্বাচন কৰি দিয়াৰ বাহিৰে ৰাইজৰ কৰিবলৈ দেখাত একো কাম নাই। ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিয়ে কেতিয়াবা নকৰিবলগীয়া কাম কৰিলেও তেওঁক 'বিকল' কৰাৰ বা ঘূৰাই অনাৰ কোনো ব্যৱস্থা ভাৰতীয় সংবিধানে ৰখা নাই। এনে ব্যৱস্থাত নিৰ্বাচিত কোনো প্ৰতিনিধিয়ে যদি সংসদ বা বিধান সভালৈ গৈ ৰাইজক দিয়া সকলো প্ৰতিশ্ৰুতি পাহৰি যায় বা প্ৰলোভন জয় কৰিব নোৱাৰি ৰাইজ বিৰোধী নানা পাপ-চক্ৰত যোগ দিয়ে, বা মন্ত্ৰী-পালী মন্ত্ৰী হোৱাৰ সুযোগ পাই ৰাইজৰ প্ৰতি নিজৰ কৰ্তব্য পাহৰি কেৱল পো-নাতিৰ কাৰণে ধন সঞ্চয় কৰা চাকৰি যোগাৰ কৰাতে লাগি যায় — তেতিয়া হ'লেও ৰাইজ নিৰুপায়। কিন্তু আমি এই কথাও যদি ধৰি লওঁ যে ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিসকলে ঠিকমতেই নিজৰ কৰ্তব্য পালন কৰে, বা ৰাইজৰ উপকাৰত অহা ভাল ভাল আইনবোৰকে পাছ কৰি দিয়ে, তথাপিতো কাৰ্য্যপালিকা বা আমোলা-তন্ত্ৰৰ অকৰ্মণ্যতা আৰু দুৰ্নীতিৰ ফলত যদি সেই আইনৰ নিৰ্দেশবোৰ শুদ্ধভাৱে আৰু আন্তৰিকভাৱে পালন কৰা নহয় — তেতিয়া উপায় কি? যিসকল বিৰোধী দল বা নেতাই চৰকাৰৰ কাৰ্য্যাৱলীৰ ওপৰত চোকা নজৰ ৰাখিব বুলি ৰাইজে আশা কৰে, তেওঁলোকৰ কোনোৱে যদি দিনত মন্ত্ৰীক সকলোৱে শুনাকৈ থকা-সৰকা কৰি গালি পাৰি ৰাতি সেই মন্ত্ৰীৰ ঘৰলৈকে গৈ নিজৰ পো-ভতিজা, অগুহী-বগুহী বা নিজৰ সমষ্টিৰ কোনো ভোটাৰৰ কাৰণে চাকৰি প্ৰাৰ্থনা কৰে, বা কাকুতি কৰে তেন্তে তেনে বিৰোধী নেতাৰ ঢোৰাসাপৰ ফোচ্‌ফোচনিত কোনোবা মন্ত্ৰীয়ে ভয় খাব বুলি ৰাইজে আশা কৰেনে?.... মুঠ কথা, যোৱা কুৰি বছৰে আমি ভোট দি বিভিন্ন দলৰ মানুহক বিধান সভা আৰু লোকসভালৈ পঠাই আছোঁ আৰু নিশ্ছিদ্ৰ নিৰাশাৰ অন্ধকাৰৰ মাজতো আমি এতিয়াও সেই আশাৰ স্বপ্ন দেখি আছো যে তেওঁলোকে নিশ্চয় আমাৰ দুখ-দুৰ্গতি মোচনৰ কিবা এটা ব্যৱস্থা কৰিব; কিন্তু কি আচৰিত কথা যে ভাৰতৰ কোটি কোটি কাঙাল আৰু হৃত-সৰ্বস্ব মানুহে নিৰ্বাচিত কৰি দিয়া চৰকাৰৰ তলত ধনীবোৰেহে বেছি ধনী হৈ গৈ আছে আনহাতে দুখীয়াবোৰ হৈ গৈ আছে আৰু অধিক দুখীয়া। যিহেতু গণতন্ত্ৰ মানেই ৰাইজৰ শাসন, তেন্তে ভাৰতৰ ৰাইজে যোৱা কুৰি বছৰ ধৰি নিজৰ ইচ্ছাতেই অন্তহীন দুখ-দাৰিদ্ৰ্যৰ ৰসাতললৈ গৈ আছে? এইটো কি প্ৰকাৰৰ গণতন্ত্ৰ — য'ত কোটি কোটি দৰিদ্ৰ নিৰন্ন মানুহে বাছি দিয়া চৰকাৰে কেৱল মুষ্টিমেয় ধনী মানুহকহে ধনী কৰি তোলে, আৰু বাকী সকলো মন্ত্ৰী-আমোলা-ঠিকাদাৰ আদিক দিয়ে দুৰ্নীতি আৰু স্বাৰ্থ-পূৰণৰ অবাধ অধিকাৰ?

কোৱা বাহুল্য মাথোন যে এই ভুৱা আৰু অৰ্থহীন গণতন্ত্ৰৰ বিষয়ে নিশ্চয় নতুনকৈ চিন্তা কৰাৰ সময় আহিছে।

ভাৰতবৰ্ষতো নিৰক্ষৰ আৰু কাঙাল মানুহৰ গণতন্ত্ৰ; তাতে এতিয়াও ই কৈশোৰৰ দুৱাৰ-ডলি পাৰ হোৱা নাই। আনকি আমেৰিকা আৰু ইংলেণ্ড আদিৰ দৰে প্ৰবীণ সমৃদ্ধিশালী ৰাষ্ট্ৰতো প্ৰচলিত গণতন্ত্ৰৰ কাৰ্য্যকাৰিতা সম্পৰ্কে বহুতো সংশয় আৰু উদ্বেগ নতুনকৈ জাগি উঠিছে। সৌ সিদিনা মাত্ৰ বিলাতৰ লিবাৰেল্ পাৰ্টিৰ নেতা হেৰল্ড্ থৰ্পে কৈছে গণতন্ত্ৰৰ সকলো স্তৰতে জনসাধাৰণৰ পাৰ্টিচিপেচন্ বা অংশ-গ্ৰহণৰ সুবিধা নথকাত এই গণতন্ত্ৰ হৈ পৰিছে অৰ্থহীন; আমেৰিকা যুক্তৰাষ্ট্ৰতো 'নিউ লেফ্‌ট' বা নব্য বামপন্থী লোকসকল তাৰ প্ৰচলিত গণতান্ত্ৰিক ব্যৱস্থা, নেতৃত্ব আৰু সমাজৰ প্ৰতি ইমানেই বীতশ্ৰদ্ধ হৈ পৰিছে যে তেওঁলোকে আজি অতি ব্যাপক ভিত্তিত নিষ্ক্ৰিয় প্ৰতিৰোধ ..... আন্দোলনৰ কথা চিন্তা কৰিবলগীয়া হৈছে।

কিন্তু আমি চিন্তা কৰিব লাগিব তাতোকৈ বহুত বেছি কিবা কিবি, কাৰণ আমাৰ ৰোগ তেওঁলোকতকৈও বহুত বেছি গুৰুতৰ আৰু সঙ্কটজনক।

আমি কি কৰিব পাৰোঁ (৩)

I shall be as harsh as Truth,
and as uncompromising as Justice,
I am in earnest, I will not equivocate,
I will not excuse,
I will not retreat a single inch,
and I will be heard.

– William Lloyd Garrison.

ৰোনাল্ড চেগ্‌ল নামৰ ইংৰাজ সাংবাদিক এজনে তেওঁৰ এখন কিতাপত (ইণ্ডিয়া ইন ক্ৰাইচিচ্) লিখিছে যে ভাৰতত যিটো বস্তুৱে তেওঁক আটাইতকৈ বেছি বিস্মিত আৰু প্ৰায়ে আতংকিত কৰি তুলিছিল সেইটো হৈছে ভাৰতীয় মানুহৰ চৰম উদাসীনতা। প্ৰকাশ্যে ৰাজপথত সহস্ৰ জনতাৰ চকুৰ সম্মুখত তিলে তিলে মৰিব ধৰা অভুক্ত ভিখাৰীৰ দৃশ্যৰ পৰা আৰম্ভ কৰি লাভখোৰ চোৰাং বেপাৰীৰ দিন-ডকাইতি আৰু মন্ত্ৰী আৰু আমোলাৰ বেপেৰুৱা দুৰ্নীতিলৈকে এই সকলোৰে প্ৰতি ভাৰতবৰ্ষৰ জনসাধাৰণ সমানেই উদাসীন আৰু নিৰ্বিকাৰ। অৱশ্যে এই বিষয়ে কোনো সন্দেহ নাই যে এই উদাসীনতা বা নিৰ্বিকাৰ স্বভাৱৰ একমাত্ৰ কাৰণ হ'ল বহু শত শতাব্দীৰ অত্যাচাৰ আৰু নিৰ্যাতনৰ কৰুণ অভিজ্ঞতা। এচাৰিব খোঁচত হালৰ গৰুৰ টিকা ক্ষত-বিক্ষত হৈ শুকাই যোৱাৰ পিছত তাক হাজাৰ খুচিলেও সি যেনেকৈ গমকে নোপোৱা হয়, ভাৰতীয় প্ৰজাবো ঠিক একেই অৱস্থা হৈছে। তেওঁলোকৰ মনত এই ধাৰণা বদ্ধমূল সোমাই গৈছে যে দুখ-দাৰিদ্ৰ্য আৰু অন্যায়-অবিচাৰ জীৱনৰ অখণ্ডনীয় বিধিলিপি, তাৰ কোনো পৰিবৰ্তন হ'ব নোৱাৰে।

এনে এটা অৱস্থাত – আমি কি কৰিব পাৰো – এই প্ৰশ্নৰ প্ৰথম উত্তৰ হ'ল এয়ে যে আমি আপ্ৰাণ চেষ্টা কৰি হ'লেও ভাৰতীয় মানুহৰ মজ্জাগত এই উদাসীনতা ত্যাগ কৰিব লাগিব। অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে আমি কথাই কথাই খঙাল আৰু অসহিষ্ণু হ'বলৈ শিকিব লাগিব। আমি এই কথা ব্যক্তিগত সামাজিক জীৱনৰ মূল নীতি হিচাবে গ্ৰহণ কৰিব লাগিব যে অন্যায়-অবিচাৰৰ লগত কেতিয়াও কোনো অৱস্থাতে কোনো আপোচ হ'ব নোৱাৰে।

কিন্তু এইটো কৰিবলৈ হ'লে আমি প্ৰথমে মানুহ হিচাবে নিজৰ মৰ্য্যাদাৰ বিষয়ে সচেতন হ'ব লাগিব। যি মানুহে নিজকে সন্মান কৰিব নোৱাৰে সি কেতিয়াও আনৰপৰা সন্মান আদায় কৰিব নোৱাৰে। যি মানুহ ভীৰু আৰু মেৰুদণ্ডহীন সি কেতিয়াও অন্যায়ৰ প্ৰতিবাদ কৰিব নোৱাৰে। স্বৰ্গীয় জৱাহৰলাল নেহৰুৱে এবাৰ কৈছিল যে তেওঁ ভাৰতবৰ্ষত এনে মানুহ জন্ম হোৱাটো বিচাৰে যি মানুহে অন্যায়ৰ প্ৰতিবাদত তেওঁৰ মুখতো খোঁচ মাৰি দিব পাৰিব। কিন্তু সম্প্ৰতি আমি ভাৰতবৰ্ষত যি বীৰ পুৰুষৰ নমুনা দেখিছোঁ, তেওঁলোকে জৱাহৰলাল নেহৰুৰ মুখত খোচা মৰা দূৰৰ কথা, আমাৰ বিমলা প্ৰসাদ চলিহাক দেখিলে দূৰতে বেঙে-মূতা পৰু কঁপাদি কঁপে। আমাৰ ডেকা ল'ৰাই মাজে মাজে বীৰত্বৰ চানেকি নেদেখুওৱা নহয়, দেখুৱায়; কিন্তু তাকে যেনিবা শিয়ালৰ দৰে জাক পাতিহে, সিংহৰ দৰে অকলশৰে নহয়। অৰ্থাৎ কিবা এটা অন্যায়ৰ প্ৰতিবাদ কৰিব লগা হ'লেই আমাৰ ল'ৰাই বিৰাট সমদল বাহিৰ কৰে, বা জাক পাতি গৈ কাৰোবাক ঘেৰাও কৰে বা মাৰপিট কৰে; কিন্তু অকলশৰে, নিজে উদ্যোগী হৈ মুখ্যমন্ত্ৰী বা উপাচাৰ্য্য বা উপায়ুক্ত কোঠালৈ সোমাই গৈ কিবা এটা প্ৰতিবাদ কৰি আহিবৰ সাহস বা পৌৰুষ বেছিভাগ ডেকা ল'ৰাৰ নাই। সাহস বা পৌৰুষ প্ৰতিজন মানুহৰ ব্যক্তিগত গুণ; কেৱল জাকৰ মাজতহে যি মানুহে ভাৱনাৰ জীৱৰ দৰে বীৰত্বৰ আস্ফালন কৰে, সেই মানুহৰ পুৰুষত্ব সদায় সন্দেহৰ বিষয়।

অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ গৈ যি ভয়ে আমাক যুগ যুগ ধৰি কোঙা কৰি ৰাখিছে সেই ভয় পৰিত্যাগ কৰিব লাগিব, নিজকে সৰু বা হীন বুলি ভাবি থকাৰ অভ্যাস দূৰ কৰিব লাগিব। প্ৰয়োজন হ'লে ইন্দিৰা গান্ধী বা বিমলা প্ৰসাদ চলিহাৰ মুখৰ আগত আঙুলি টোৱাই অন্যায়ৰ প্ৰতিবাদ কৰাৰ সাহস সঞ্চাৰ কৰিব লাগিব। বাৰ্ণাড্ শ্বৰ আৰ্মচ্ এণ্ড ডি মেন নাটকত কেপ্তেইন ব্লাণ্ট্শ্লিয়ে 'মোৰ আমুক আছে তমুক আছে বুলি খুব বাহাদুৰি কৰি থকা দেখি তেওঁৰ প্ৰতিদ্বন্দ্বী পেট্কফে সুধিলে : Are you emperor of Switzerland? (আপুনি চুইজাৰলেণ্ডৰ সম্ৰাট নেকি?) তেতিয়া ব্লাণ্ট্শ্লিয়ে উত্তৰ দিলে : My rank is the highest known in Switzerland. I am free citizen. (চুইজালেণ্ডত মোৰ স্থান সকলোতকৈ ওপৰত— মই সেই দেশৰ এজন স্বাধীন নাগৰিক)। প্ৰত্যেক ভাৰতীয়য়ো এই কথা হৃদয়ঙ্গম কৰিব লাগিব যে তেওঁৰ ঠাই সকলোতকৈ আগশাৰীত কাৰণ তেওঁ এজন স্বাধীন নাগৰিক। দিগ্নিটি অব মেন বা মানৱীয় মৰ্য্যাদাই হ'ল গণতন্ত্ৰৰ মূল ভেটি। আমাৰ দেশত সাধাৰণ মানুহৰ এই মৰ্য্যাদাবোৰ একেবাৰে নাই। ভাৰতত মুখেৰে সকলোৱেই কয় যে ৰাইজে ৰজা, কিন্তু কামত নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীয়ে ভোটাৰক খাতিৰ কৰাৰ বাহিৰে আন সকলো সময়তে মন্ত্ৰীৰ পৰা আৰম্ভ কৰি পিয়নলৈকে সকলোৱেই সাধাৰণ ৰাইজক কুকুৰ-মেকুৰীৰ দৰে ব্যৱহাৰ কৰে। এই অৱস্থাৰ অৱসান ঘটিব লাগিব।

গণতন্ত্ৰক আমি আমাৰ প্ৰত্যেকৰে জীৱনৰ কাৰণে অৰ্থপূৰ্ণ আৰু ফলপ্ৰসূ কৰি তুলিবলৈ হ'লে আমি চাৰি বছৰৰ মূৰে মূৰে বেলট্ বাকচত ভোটৰ কাগজখন পেলাই দি তাৰ পাচত কিনো হয় চাওঁ বুলি দূৰত নিষ্ক্ৰিয় দৰ্শকৰ দৰে থিয় হৈ থকাৰ পৰিবৰ্তে প্ৰতি পদে পদে গণতন্ত্ৰৰ বাস্তৱ ৰূপায়ণত সক্ৰিয় অংশ গ্ৰহণ কৰিব লাগিব। ইয়াৰ কাৰণে আমি বহুতো কাৰ্যকৰী ব্যৱস্থা ল'ব পাৰো। ব্যক্তিগতভাবে আমি প্ৰত্যেকেই নিজ নিজ অঞ্চলৰ অভাব-অভিযোগ, শাসন-ব্যৱস্থাৰ আসোঁৱাহ বা দুৰ্নীতিৰ উদাহৰণ আদি স্থানীয় এম-এল-এ বা এম-পি আদিৰ দৃষ্টিগোচৰ কৰি সেই বিষয়ে উপযুক্ত স্থানত প্ৰশ্ন তুলিবলৈ তেওঁক ব্যাখ্যা কৰিব পাৰোঁ; প্ৰত্যেক সমষ্টিতে একোখন সৰ্বদলীয় স্থায়ী 'ভোটাৰচ্ কাউন্সিল' পাতি স্থানীয় এম-এল-এ বা এম-পিক বছৰত অন্ততঃ তিনিবাৰকৈ সেই কাউন্সিলৰ বৈঠকত হাজিৰ হৈ তেওঁ কৰা কামৰ খতিয়ান দিবলৈ বাধ্য কৰিব পাৰোঁ বা তেওঁ অসাধু আৰু অযোগ্য প্ৰমাণিত হ'লে পদত্যাগ কৰিবলৈ তেওঁৰ ওপৰত নৈতিক হেঁচা দিব পাৰোঁ; চৰকাৰক বিপথে যোৱাৰ পৰা সতৰ্ক কৰি দিবলৈ বাতৰি কাকতৰ পূৰ্ণ ব্যৱহাৰ কৰিব পাৰোঁ; যিমান সম্ভৱ বেছি সংখ্যক স্থানীয় নিকায় বা সংস্থাবোৰত চৰকাৰী মনোনীত সদস্যৰ পৰিবৰ্তে ৰাইজৰ নিৰ্বাচিত সদস্যক স্থান দিবলৈ চৰকাৰক বাধ্য কৰিব পাৰোঁ; আনকি ছাত্ৰসকলেও বিশ্ববিদ্যালয়ৰ কোৰ্ট আৰু একজিকিউটিভ্ কাউন্সিললৈ অন্ততঃ দুজনকৈ প্ৰতিনিধি পঠোৱাৰ দাবী কৰা উচিত। মুঠতে আমি কেৱল ভোট দিয়া যন্ত্ৰ নহৈ অংশগ্ৰহণকাৰী সচেতন নাগৰিক হোৱা উচিত।

অৱশ্যে কেৱল এইখিনি কৰিয়েই আমি স্বৰ্গ ঢুকি পাম বুলি আশা কৰাটো নিশ্চয় বাতুলতাহে হ'ব। আমাৰ আচল লক্ষ্যত উপনীত হ'বৰ কাৰণে আমি এটা বিৰাট আন্দোলনৰ কাৰণে নিজকে প্ৰস্তুত কৰিব লাগিব। ৰাজনৈতিক স্বাধীনতাৰ কাৰণে আমি গান্ধীজীৰ নেতৃত্বত অহিংস সংগ্ৰাম কৰিছিলোঁ বগা বেপাৰীৰ বিৰুদ্ধে; এতিয়া অৰ্থনৈতিক স্বাধীনতাৰ কাৰণে আমি সেই সংগ্ৰাম কৰিব লাগিব ক'লা বেপাৰীৰ বিৰুদ্ধে। বেপাৰী বেপাৰীয়েই— তেওঁৰ গাৰ ছালৰ বং যিয়েই নহওক; আনহাতে ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীনতা সম্পূৰ্ণ এক আৰু অবিভাজ্য। গতিকে কোৱা বাহুল্য মাথোন যে ভাৰতৰ জনতাৰ মুক্তি-সংগ্ৰাম এতিয়াও শেষ হোৱা নাই। আমাৰ কেৱল লক্ষ্য হোৱা উচিত যাতে এই সংগ্ৰামে নক্সালবাৰী বা ওৱাইনাৰ অন্ধকাৰ পাহাৰী জংঘলৰ পথ নলৈ সুসভ্য সংসদী গণতন্ত্ৰৰ পথ আৰু মানৱীয় গান্ধীবাদী নৈতিক সংগ্ৰামৰ পথ লয়।

নিঃসন্দেহে আমি ইতিহাসৰ এটা সন্ধিক্ষণত দুটা পথৰ দোমোজাত আহি থিয় দিছোঁ। হতাশাত জৰ্জৰিত হৈ আৰু যন্ত্ৰণাত ধৈৰ্য্য-চ্যুত হৈ আমি যাতে অশুদ্ধ পথলৈ, ৰক্তাক্ত পথলৈ, ভয়ঙ্কৰ পথলৈ গুচি যাব লগা নহয় — তাৰ কাৰণে এতিয়াৰপৰাই সকলো সাৱধান হওক।

নতুন বছৰ

আমাৰ দেশীয় পঞ্জিকা মতে পহিলা জানুৱাৰীত নতুন বছৰৰ আৰম্ভণি নহয় কিন্তু বহুকাল ধৰি আমি পশ্চিমীয়া পঞ্জিকা অনুসৰি দিন-মাহ গণনা কৰাত এনেভাৱে অভ্যস্ত হৈ পৰিছোঁ যে ডিচেম্বৰ মাহ শেষ হোৱাৰ লগে লগেই নতুন এটা বছৰ আৰম্ভ হ'ল বুলি আমাৰ মনে সহজভাৱেই গ্ৰহণ কৰে। সেই সহজ অভ্যাসকে মানি লৈ আমি সমূহ ৰাইজলৈ নতুন বছৰৰ অভিবাদন আৰু শুভ-ইচ্ছা আগবঢ়াইছোঁ। আহিব ধৰা বছৰটোৱে যেন সদৌ মানৱ জাতিলৈ সুখ-শান্তি কঢ়িয়াই আনে — এয়েই আমাৰ অন্তৰৰ ঐকান্তিক প্ৰাৰ্থনা।

আমি পাছলৈ উভতি চাই যি দেখোঁ সিয়েই হ'ল ইতিহাস। এৰি থৈ অহা বছৰটো এতিয়া মানৱ জাতিৰ যুগ যুগ বিয়পা ইতিহাসৰ এটা সামান্য অংশ মাত্ৰ। কিন্তু মানুহৰ স্বভাৱেই এনে যে সি পদে পদে পিছলৈ ঘূৰি চাইহে সন্মুখলৈ খোজ আগবঢ়াব পাৰে। নতুন বছৰৰ দুৱাৰ-ডলিত থিয় হৈ আমি পিচলৈ উভতি চাই দেখোঁ — ১৯৬৮ চনৰ গোটেই বছৰটোৰ ঘটনা-প্ৰবাহ নানা সৰু-বৰ তৰংগৰে মুখৰিত হৈ আছে। কিন্তু সময়ৰ বুকুত সেইখিনি পথ অতিক্ৰম কৰি অহাৰ পাচত এতিয়া কেৱল ডাঙৰ ডাঙৰ ঢৌবোৰহে আমাৰ চকুত পৰে। প্ৰথমেই চকুত পৰে প্ৰায় সমগ্ৰ পৃথিৱীজুৰি ছাত্ৰ তথা তৰুণ সমাজৰ অভূতপূৰ্ব বিদ্ৰোহী মিছিল। দেশে দেশে হয়তো এই বিদ্ৰোহৰ চৰিত্ৰ বেলেগ, লক্ষ্য বেলেগ, ৰাজনৈতিক আদৰ্শ বেলেগ— কিন্তু এটা ক্ষেত্ৰত বিশ্বৰ সমগ্ৰ বিদ্ৰোহী তৰুণ সমাজৰ এটা সাধাৰণ মিলো নিশ্চয় আছে। সি হ'ল ভিতৰি ভিতৰি পচিবলৈ ধৰা স্থিতাৱস্থাৰ প্ৰতি তেওঁলোকৰ প্ৰচণ্ড ঘৃণা আৰু অসহিষ্ণুতা। ১৯৬৮ চনৰ এই বিশ্বব্যাপী যুৱ-[illegible] মানৱ-সমাজৰ শতাব্দী-প্ৰাচীন ভেটিত ৰাককৈয়ে এটা জোকাৰণি দিছে, আহিব ধৰা সময়বোৰত বিভিন্ন ধৰণেৰে তাৰ প্ৰতিক্ৰিয়া দেখা যাব। ... কমিউনিষ্ট ৰাষ্ট্ৰ চেকোশ্লোভেকিয়াত উদাৰ-নৈতিক সংস্কাৰৰ প্ৰচেষ্টা আৰু সেই দেশৰ বিৰুদ্ধে ৰাছিয়ান সৈন্য-বাহিনীৰ নগ্ন আক্ৰমণ ১৯৬৮ চনৰ আন এটা স্মৰণীয় ঘটনা। সেই ঐতিহাসিক ঘটনাৱলীয়ে সমসাময়িক বিশ্বৰ সাম্যবাদী শিবিৰক আৰু বিভিন্ন দেশৰ কমিউনিষ্ট মতাৱলম্বী ৰাজনৈতিক দলসমূহৰ আগত এনে কেইটামান জটিল প্ৰশ্ন দাঙি ধৰিছে — যাৰ উত্তৰ তেওঁলোকে কেনেভাৱে দিয়ে তাৰ প্ৰতি সমগ্ৰ বিশ্ববাসীয়ে পৰম কৌতূহলেৰে লক্ষ্য ৰাখিছে। সমাজবাদী ৰাছিয়াৰ এই জাতীয়তাবাদী স্বাৰ্থ-প্ৰবোচিত আক্ৰমণৰ নিন্দা কৰিবলৈ আমাৰ ভাষাৰ অভাৱ, কিন্তু আংশিক পৰিমাণে হ'লেও সেই অভাৱ দূৰ কৰিছে স্বয়ং এজন ৰাছিয়ানে। চেকোশ্লোভেকিয়াত ৰাছিয়ান সৈন্য-বাহিনী প্ৰৱেশ কৰাৰ ঠিক পিচদিনাই অৰ্থাৎ ২২ আগষ্ট তাৰিখে ৰাছিয়াৰ তৰুণ বিদ্ৰোহী কবি ইয়েভতুচেংকোৱে ব্ৰেজনেভলৈ আৰু কচিগিনলৈ এখন টেলিগ্ৰাম কৰিছিল এইবুলি : "কেনেকৈ টোপনি যাম মই ক'ব নোৱাৰোঁ। কেনেকৈ জীয়াই থাকিম মই ক'ব নোৱাৰোঁ। মই কেৱল এই কথাকে জানোঁ যে যি অনুভূতিয়ে মোক গ্ৰাস কৰি পেলাইছে, তাক আপোনালোকৰ আগত প্ৰকাশ কৰাটো মোৰ নৈতিক কৰ্তব্য। মই সম্পূৰ্ণভাৱে বিশ্বাস কৰোঁ যে চেকোশ্লোভেকিয়াত আমি কৰা কাৰ্য্যাৱলী এটা বিৰাট ডাঙৰ ভুল আৰু বিশ্ব সাম্যবাদী আন্দোলনৰ প্ৰতি ই এটা প্ৰচণ্ড আঘাত। মই মোৰ দেশ আৰু বিশ্ববাসীৰ ভালপোৱা, আৰু মই পুচকিন, টলষ্টয়, ডষ্টয়েভস্কি

আৰু চলহেনং চিন আদি মহান লিখকসকলৰ সাহিত্যৰ এজন সামান্য উত্তৰাধিকাৰী। এই পৰম্পৰাই মোক শিকাইছে যে নীৰৱ হৈ থকাটো সময় বিশেষে এটা ডাঙৰ অপৰাধ।" ৰাছিয়ান শাসকসকলৰ ৰঙা চকুকো উপেক্ষা কৰি এই সংবেদনশীল মানৱ-দৰদী তৰুণ কবি নীৰৱ হৈ থকা নাছিল আৰু সংকটৰ মুহূৰ্তত মানৱ স্বাধীনতাৰ সপক্ষে তেওঁৰ নিৰ্ভীক উক্তি ১৯৬৮ চনৰ ইতিহাসৰ এখনি স্মৰণীয় মূল্যবান দলিল। ..... ১৯৬৮ চনতেই আমেৰিকা যুক্তৰাষ্ট্ৰতো এটা নতুন যুগৰ সূচনা হ'ল। যোৱা নবেম্বৰ মাহৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ৰিচাৰ্ড নিকচন্ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হোৱাৰ লগে লগে যোৱা আঠ বছৰৰ ডিম'ক্ৰেটিক পাৰ্টিৰ একচত্ৰী শাসনৰ অন্তত সেই দেশত আৰম্ভ হ'ল ৰিপাব্লিকান্ দলৰ প্ৰত্যাৱৰ্তন। সমসাময়িক বিশ্ব ৰাজনীতিৰ পৰিপ্ৰেক্ষিতত ই এটা যথেষ্ট তাৎপৰ্য্যপূৰ্ণ ঘটনা আৰু অদূৰ-ভৱিষ্যতত বিশ্বৰ সকলো প্ৰান্ততে এই ঘটনাৰ প্ৰভাৱ কম-বেছি পৰিমাণে অনুভৱ হ'ব।.... এই ঘটনাৰ মাত্ৰ কেইদিনমান আগতে খুব সম্ভৱ মাৰ্কিন নিৰ্বাচনী ৰাজনীতিৰ প্ৰভাৱতেই, উত্তৰ ভিয়েটনামৰ আকাশত আমেৰিকান বোমাৰু বিমানৰ সৰ্বধ্বংসী গৰ্জন স্তব্ধ হৈছিল প্ৰেছিডেন্ট্ জনছনৰ মৰ্জিৰ ফলত; তাৰো কিছুদিন আগতে পেৰিচত আৰম্ভ হৈছিল আমেৰিকান আৰু উত্তৰ ভিয়েটনামৰ মাজত শান্তি-আলোচনা। এই আলোচনাৰ শেষ পৰিণাম যিয়েই নহওক, একাদিক্ৰমে বহু বছৰ ধৰি চলি অহা ৰক্তক্ষয়ী ভিয়েটনামৰ যুদ্ধৰ ১৯৬৮ চনতেই যে বিৰতি পৰিছিল সেই কথা ভৱিষ্যতৰ ঐতিহাসিকে নিশ্চয় স্মৰণ কৰিব।

১৯৬৮ চনটো ভাৰতৰ কাৰণেও ঘটনা-বহুল। এখন এখনকৈ চাৰিখন ৰাজ্যত অকংগ্ৰেছী চৰকাৰৰ পতন, উত্তৰ ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত প্ৰতিক্ৰিয়াশীল ছাত্ৰ-আন্দোলন, কেন্দ্ৰীয় কৰ্মচাৰীৰ ধৰ্মঘট, কেৰালাত মাওপন্থী সশস্ত্ৰ বিপ্লৱী উত্থান, চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনা সম্পৰ্কে অন্তহীন বিতৰ্ক আৰু অনিশ্চয়তা, অৰ্থনৈতিক স্থবিৰতা— এই প্ৰত্যেকটো ঘটনাৰ গৰ্ভত নিহিত আছে এক অনিশ্চিত আৰু অশান্ত ভৱিষ্যতৰ বীজ, যাৰ দুই এটাৰ অংকুৰ উন্মেষ আমি হয়তো ১৯৬৯ চনতেই দেখিবলৈ পাম। অসমৰ কাৰণে ১৯৬৯ চনটো প্ৰায় বৈচিত্ৰ্যহীন আৰু বন্ধ্যা বুলিয়েই ক'ব পাৰি। ভাল বা বেয়া – এনেকুৱা ঘটনা যোৱা বছৰটোত অসমত ঘটা নাই – যাৰ বিশেষ ঐতিহাসিক তাৎপৰ্য্য আছে। যি অৰ্থনৈতিক স্থবিৰতা, ৰাজনৈতিক অচেতনতা আৰু সাংস্কৃতিক অনুৰ্বৰতাই দীৰ্ঘ কাল ধৰি অসমক আচ্ছন্ন কৰি ৰাখিছে, যোৱা বছৰটোত সেই হতাশা, স্থবিৰতা আৰু অৱসাদ আৰু কিছু ঘনীভূত হ'ল। সিমানেই।

বিহংগম দৃষ্টিৰে ১৯৬৮ চনৰ পৃথিৱীখন পৰিক্ৰমা কৰি শেষ কৰিব খুজিছো মাত্ৰ – এনেতে হঠাৎ আমাৰ চকুৰ আগত উন্মোচিত হৈ উঠিল এক অচিন্তনীয় আৰু পৰমাশ্চৰ্য্য দৃশ্য। অৱশ্যে এইবাৰ আমাৰ দৃষ্টি বহুত তলৰ মাটিৰ পৃথিৱীত নিবদ্ধ নহয় – য'ত কেইশ কোটিমান মানুহে অজস্ৰ কীটানুৰ দৰে কিলবিল কৰি জীৱন নামৰ এটা অন্তহীন খেলা খেলিব লাগিছে। আমাৰ দৃষ্টি এইবাৰ আকৃষ্ট হ'ল ওপৰলৈ – পৃথিৱীৰপৰা লক্ষ লক্ষ মাইল ওপৰলৈ—আৰু অনন্ত মহা-শূন্যৰ বুকুলৈ তীব্ৰ বেগে ধাৱিত মাৰ্কিন মহাকাশ যান এপ'ল'-৮ ৰ গতিপথ অনুসৰণ কৰি কৰি হঠাৎ এটা অবিশ্বাসনীয় মুহূৰ্তত আমি দেখিবলৈ পালো – এই মাটিৰ পৃথিৱীৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ মানুহে লক্ষ লক্ষ যোজন দূৰৰ চন্দ্ৰক প্ৰদক্ষিণ কৰিছে, আকাশলৈ মূৰ তুলি চন্দ্ৰক চোৱাৰ পৰিবৰ্তে তৰিৰ তলত চন্দ্ৰক প্ৰত্যক্ষ কৰাৰ অকল্পনীয় ৰোমাঞ্চ অনুভৱ কৰিছে, অসীম মহা-শূন্যৰ বুকুত থিয় হৈ 'অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী' হোৱাৰ স্বপ্ন দেখিছে। সৰ্ব-প্ৰথম আণৱিক বিস্ফোৰণ দেখিবৰ সময়ত বিজ্ঞানী ৰবাৰ্ট ওপেনহাইমাৰৰ মুখেদি আপোনা-আপুনি ওলাই গৈছিল গীতাৰ এই শ্লোক

: দিবি সূর্যসহস্রস্য ভবেদ্‌যুগপদুত্থিতা।। যদি ভাঃ সদৃশী বা স্যাত্তাসস্তস্য মহাত্মনঃ।। (টেলিভিশ্যন্‌ অভাবত) মনশ্চক্ষুৰে চন্দ্ৰ-প্ৰদক্ষিণ-ৰত সেই তিনিজন মানুহক দেখিও স্বতঃস্ফূৰ্তভাৱে আমাৰ মুখৰপৰা ওলাই গ'ল : জীৱনেৰে কে ৰাখিতে পাৰে / আকাশেৰ প্ৰতি তাৰা ডাকিছে তাহাৰে / তাৰ নিমন্ত্ৰণ লোকে লোকে / নব নব পূৰ্বাচলে, আলোকে আলোকে। (ৰবীন্দ্ৰনাথ)। চিৰ-অপৰাজেয় মানুহে যেন আজি উত্তৰ দিবলৈ আগবাঢ়িছে সৃষ্টিকৰ্তাৰ সেই প্ৰাচীন প্ৰশ্নৰ : Canst thou bind the sweet influences of Pleiades, or loose the bonds of Orion? (The Book of Job)

হাজাৰ বছৰৰ পাচত ১৯৬৮ চনৰ আন সকলো ঘটনা তুচ্ছ, নগণ্য আৰু বিস্মৃত হৈ পৰিব, কিন্তু মানৱ-জাতিৰ স্মৃতিত চিৰ-অম্লান জ্যোতিৰে ভাস্বৰ হৈ ৰব মানুহৰ চন্দ্ৰ-প্ৰদক্ষিণৰ সেই মহিমা-মণ্ডিত মুহূৰ্তটো। চন্দ্ৰত প্ৰথমে গৈ কোন দেশৰ মানুহে অৱতৰণ কৰে সেই প্ৰশ্ন তেনেই অবান্তৰ; কাৰণ যি কোনো মানুহৰেই বিজয়-গৌৰৱ সমগ্ৰ মানৱ-জাতিৰ উমৈহতীয়া আৰু অবিভাজ্য উত্তৰাধিকাৰ। নতুন বছৰৰ আৰম্ভণিৰ লগে লগে আমি প্ৰৱেশ কৰিলোঁ মানৱ-জাতিৰ ইতিহাসৰ এটা নতুন যুগত, আমাৰ সন্মুখত আশা আৰু সম্ভাৱনা এতিয়া অন্তহীন।

জনজাতীয় পৰিক্ৰমা দপ্তৰ

ইয়াৰ আগৰ এটা সম্পাদকীয় প্ৰবন্ধত আমি লিখিছিলোঁ যে বেলিৰ পোহৰ নপৰা ঠাইত যেনেকৈ চেচুক্ লাগি অস্বাস্থ্যকৰ পৰিবেশৰ সৃষ্টি হয় ঠিক তেনেকৈ সমালোচকৰ সন্ধানী দৃষ্টিৰ পোহৰ নপৰা ঠাইতো দুৰ্নীতি আৰু অন্যায়ৰ পাপ-চক্ৰ গঢ়ি উঠিবলৈ সুবিধা পায়। অসমত কেইটামান চৰকাৰী বিভাগ আছে যিবোৰৰ বিষয়ে বিধান সভা বা বাতৰি কাকত ক'তো বিশেষ আলোচনা হোৱা দেখা নাযায়। খুব সম্ভব তাৰ এটা প্ৰধান কাৰণ হ'ল— এইবোৰ বিভাগৰ লগত সৰ্বসাধাৰণ ৰাইজৰ কোনো পোনপটীয়া সম্পৰ্ক নাই। বিশেষ একশ্ৰেণীৰ মানুহ বা জনগোষ্ঠীৰ লগতহে এই বিভাগবোৰৰ প্ৰত্যক্ষ সম্পৰ্ক। এনে হোৱাৰ ফলত সৰ্বসাধাৰণ ৰাইজে এই বিভাগবোৰৰ কাৰ্য্যকলাপৰ বিশেষ কৌতূহল প্ৰকাশ নকৰে। জনসাধাৰণৰ এই উদাসীনতাৰ সুযোগ লৈ যিবোৰ চৰকাৰী বিভাগ নানা সন্দেহজনক কামত লিপ্ত হৈ আছে, সেইবোৰৰ ভিতৰত অন্যতম হ'ল অসম চৰকাৰৰ জনজাতীয় পৰিক্ৰমা দপ্তৰ। অসমৰ জনজাতীয় সমাজ নানা কাৰণত অসন্তুষ্ট আৰু অশান্ত হৈ পৰিছে। অসমৰ সমাজ-গাঁথনি, ভৌগোলিক অৱস্থান আৰু ওচৰ-চুবুৰীয়া বিদেশী ৰাষ্ট্ৰসমূহৰ ৰাজনৈতিক পৰিস্থিতি— এই সকলো কথা সূক্ষ্মভাবে পৰীক্ষা কৰি চালে দেখা যাব যে এই অসন্তুষ্টিৰ মনোভাৱক দকৈ শিপাবলৈ দিলে সময়ত তাৰ পৰিণাম অতি বিষময় হৈ উঠিব পাৰে। গতিকে এই অসন্তুষ্টিৰ কাৰণবোৰ ভালকৈ বিশ্লেষণ কৰি সময় থাকোতেই তাৰ প্ৰতিকাৰ কৰিবলৈ চেষ্টা কৰা উচিত। যিবোৰ কাৰণত এই শোষিত, পদদলিত আৰু অনগ্ৰসৰ মানুহবোৰ আজি বিদ্ৰোহী হৈ উঠিছে সেই কাৰণবোৰ দূৰ কৰিবলৈ চেষ্টা নকৰি কেৱল বিদেশী আক্ৰমণৰ ভয় দেখুৱাই এটা কৃত্ৰিম ঐক্য গঢ়ি তুলিবৰ কাৰণে তেওঁলোকক আহ্বান কৰি থকাটো ৰাজনৈতিক দূৰদৰ্শিতা বা দেশ-প্ৰেমৰ পৰিচয় নিশ্চয় নহয়। আমি ইয়াত এটা সৰু কথা উল্লেখ কৰিব খুজিছো – যিটো কথাক জনজাতীয় অশান্তিৰ এটা ঘাই কাৰণ বুলি আমি ভাবোঁ। জনজাতীয় অঞ্চলৰ বিভিন্ন কল্যাণমূলক কাম-কাজৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা বছৰি কিছু অৰ্থ-সাহায্য পায়। এই অৰ্থ বিতৰণ আৰু ব্যয় কৰাৰ ভাৰ ন্যস্ত কৰা হৈছে জনজাতীয় পৰিক্ৰমা দপ্তৰৰ ওপৰত। যোৱা কুৰি বছৰত এনেকৈ পোৱা অৰ্থ-সাহায্যৰ পৰিমাণ একেবাৰে কম নহয়, আৰু এইখিনি টকাকে ঠিকভাবে খৰচ কৰি দৰিদ্ৰ আৰু অনুন্নত জনজাতি লোকসকলৰ প্ৰকৃত উপকাৰত অহা কিছু কাম কৰা হ'লে তেওঁলোকৰ অসন্তুষ্টি সামান্য পৰিমাণে হ'লেও কম কৰি ৰাখিব পৰা হ'লহেঁতেন। কিন্তু দুখৰ বিষয় যে এইখিনি টকা ঠিকভাবে খৰচ কৰা নহ'ল। এটা অদূৰদৰ্শী ৰাজনৈতিক নেতৃত্বই জনজাতীয় ৰাইজৰ প্ৰকৃত উন্নতিৰ কাৰণে কাম কৰি তেওঁলোকৰ মন জয় কৰাতকৈ তেওঁলোকৰ মাজৰে মুখা পিন্ধা কিছুমান স্বাৰ্থান্বেষী লোকক নানাবিধ দাক্ষিণ্যৰ বিনিময়ত হাত কৰি ৰখাটোকে নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণে অধিক সহজ পন্থা বুলি গণ্য কৰিলে। যোৱা কুৰি বছৰ ধৰি জনজাতীয় পৰিক্ৰমা দপ্তৰে জনজাতীয় লোকসকলৰ মাজত কল্যাণমূলক কাম কৰা যিবোৰ বেচৰকাৰী অনুষ্ঠানক অৰ্থসাহায্য দিলে সেইবোৰৰ যদি এখন তালিকা কৰা যায় সেইবোৰ অনুষ্ঠানে কৰা কাম-কাজৰ চাক্ষুষ প্ৰমাণ বিচৰা যায়, সেইবোৰ দাখিল

কৰা টকা খৰচৰ প্ৰমাণ-পত্ৰ (utilization certificate) পুনৰ পৰীক্ষা কৰি চোৱা হয় – তেতিয়া হ'লেই আমাৰ উপৰোক্ত অভিযোগৰ সত্যাসত্য ওলাই পৰিব।

এই জনজাতীয় পৰিক্ৰমা দপ্তৰটো যে ৰাইজৰ প্ৰকৃত মঙ্গলৰ পৰিবৰ্তে কিভাবে সংকীৰ্ণ স্বাৰ্থসিদ্ধি আৰু ৰাজনৈতিক দাক্ষিণ্য বিতৰণৰ কাৰণে ব্যৱহাৰ কৰা হৈছে তাৰ এটা মাত্ৰ উদাহৰণ দিলেই যথেষ্ট হ'ব। জনজাতীয় কল্যাণমূলক কামৰ কাৰণে এই দপ্তৰৰ অধীনত যি বছৰেকীয়া পুঁজি থাকে, তাৰ শতকৰা ৭৫ ভাগ জিলা কৰ্তৃপক্ষৰ যোগেদি বিতৰণ কৰা হয়। বাকী শতকৰা ২৫ ভাগ আচুতীয়া পুঁজি হিচাবে বিভাগীয় মন্ত্ৰীয়ে নিজৰ হাতত ৰাখে। এই আচুতীয়া পুঁজি বিতৰণৰ কাৰণে কোনো নিৰ্দিষ্ট আঁচনি বা প্ৰয়োজনীয় আগতীয়া তদন্তৰ দৰকাৰ নহয়; গোটেই বছৰ এই পুঁজিৰ টকা লুকুৱাই থৈ বিত্তীয় বছৰৰ শেষ মাহত এই টকা নাম-কীৰ্ত্তনৰ প্ৰসাদৰ দৰে বিতৰণ কৰা হয় বিশেষ কিছুমান লোকৰ মাজত। একে আষাৰেই কৈ দিব পাৰি যে মন্ত্ৰীৰ হাতত থকা এই আচুতীয়া পুঁজিৰ বেছিভাগ টকাৰেই সম্পূৰ্ণ অপ-ব্যৱহাৰ হয় সম্পূৰ্ণ পূৰ্ব পৰিকল্পিত উপায়েৰে। এই ধৰণৰ পুঁজিৰ বিতৰণ আৰু ব্যয়ৰ কাৰণে চৰকাৰে নিজে কৰা এখন নিয়মাৱলী আছে, কিন্তু বিস্ময়ৰ কথা এয়ে যে মন্ত্ৰীৰ এই আচুতীয়া পুঁজিৰ বিতৰণৰ কাৰণে তাৰ কোনো এটা নিয়মকে পালন কৰা নহয়। এনেস্থলত আমি যদি সন্দেহ কৰোঁ যে মন্ত্ৰীৰ হাতত এই আচুতীয়া পুঁজিটো তেওঁৰ ব্যক্তিগত বা দলীয় স্বাৰ্থৰ কাৰণে ৰাজনৈতিক অনুগ্ৰহ বিতৰণৰ উদ্দেশ্যেৰেহে ৰখা হৈছে তেতিয়াহ'লে কিবা ভুল কৰা হ'ব নেকি?

সংক্ষেপে ক'বলৈ গ'লে – সাম্প্ৰতিক জনজাতীয় অশান্তিৰ এটা গৌণ কিন্তু অনুপেক্ষণীয় কাৰণ হ'ল যে জনজাতীয় পৰিক্ৰমা দপ্তৰৰ নানাবিধ কৰ্তব্যচ্যুতি, দুৰ্নীতি আৰু দায়িত্বহীনতা। এই দপ্তৰৰ কাৰ্য্যকলাপ পুংখানুপুংখভাবে পৰীক্ষা কৰি চাবলৈ আমি সংশ্লিষ্ট কৰ্তৃপক্ষক পৰামৰ্শ দিব খোজোঁ।

মহাত্মা গান্ধী শতবাৰ্ষিকী

অসমত এতিয়াও এনে হাজাৰ হাজাৰ গাঁও আছে – য'ত খোৱা পানীৰ কাৰণে এশঘৰ মানুহৰ ভিতৰতো এটাও কুঁৱা বা দমকল নাই। অনুসূচিত জনজাতি আৰু তপ্‌ছীলভুক্ত সম্প্ৰদায়ৰ লোক বাস কৰা অঞ্চলবোৰত খোৱা পানীৰ ব্যৱস্থা আৰু সাংঘাতিক। সেইবোৰ অঞ্চলৰ তিৰোতা মানুহবোৰে দূৰৰ নৈ বা কুঁৱাৰপৰা যি কষ্টেৰে পানী সংগ্ৰহ কৰে – নিজ চকুৰে নেদেখিলে বিশ্বাস কৰা টান। খৰালি যেতিয়া নৈৰ পানী শুকাই যায়, তেওঁলোকে হাতেৰে বালি খান্দি খান্দি কোনোমতে জীৱন ধাৰণৰ কাৰণে প্ৰয়োজনীয় সামান্য পৰিমাণৰ পানী সংগ্ৰহ কৰে। বাৰিষা যেতিয়া বাট-ঘাট, নৈ-বিল সকলো একাকাৰ হৈ যায় তেতিয়া তেওঁলোকে যি পানীতে মলমূত্ৰ ত্যাগ কৰে সেই পানীকে খোৱাৰ কাৰণেও ব্যৱহাৰ কৰিবলৈ বাধ্য হয়। মুঠতে ই এটা পশুৰ জীৱন, আৰু স্বাধীন ভাৰতবৰ্ষত বহু সহস্ৰ কোটি টকা জনসাধাৰণৰ উন্নতিৰ কাৰণে এই পৰ্য্যন্ত খৰচ কৰা হৈছে বুলি শুনিছোঁ যদিও, এতিয়াও লক্ষ লক্ষ মানুহে এই পশুৰ জীৱনকে যাপন কৰি আছে। অসমৰ গাঁৱলীয়া অঞ্চলত এটা পকা কুঁৱা বহুৱাবলৈ গড় হিচাবে খৰচ পৰে প্ৰায় চাৰিশ টকা, এটা দমকলৰ কাৰণে লাগে আঢ়ৈশ টকা।

আমি যে এতিয়াও বহু মানুহক ভাল খোৱা পানী টোপাৰো যোগান দিব পৰা নাই তাৰ একমাত্ৰ কাৰণ নিশ্চয় টকাৰ অভাৱ। কিন্তু টকাৰ অভাৱৰ কাৰণে যিবোৰ কাম বন্ধ হৈ থকা নাই, তাৰ ভিতৰত উদাহৰণস্বৰূপে আঙুলিয়াই দিব পাৰি অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ বিভিন্ন ঠাইত নিৰ্মিত ৰাজ অট্টালিকা সদৃশ অতিথি গৃহকেইটা বা মন্ত্ৰীৰ কাৰণে কিনা বহু হাজাৰ টকীয়া দামী মটৰ গাড়ী কেইখনমান, কিছুমান, উচ্চ-পদস্থ বিষয়াৰ কাৰণে নিৰ্মিত বহু-কক্ষ-যুক্ত বাসভৱনবোৰ। প্ৰথমে বাৰু ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ অতিথি গৃহ এটাৰ কথাই ধৰোঁ। মটৰ গাড়ীত উঠি চয়ৰ্ কৰিবলৈ গৈ খন্তেক জিৰণীৰ কাৰণে চৰকাৰী বিষয়াৰ কাৰণে অতিথি গৃহ নহ'লে নচলে, গাঁৱে-ভূঁয়ে পশুৰ দৰে জীৱন-যাপন কৰা মানুহবোৰকো তেনেকৈ পানী নহ'লে নচলে। কিন্তু এলাখ টকাৰে দুজনমান ভাগ্যবান বিষয়াৰ খন্তেকৰ আৰামৰ কাৰণে সুৰম্য অতিথি-গৃহ সাজিব পাৰি – সেই লাখ টকাৰে অতি কম পক্ষেও ত্ৰিশ হাজাৰ দৰিদ্ৰ মানুহৰ কাৰণে তিনিশ টা দমকল বা কুঁৱাৰ যোগান ধৰিব পাৰি। এই এটা হিচাবেই দেখুৱাই দিয়ে যে আমাৰ দেশৰ একশ্ৰেণী মানুহৰ বিলাস বা আৰাম-স্পৃহা কেইবছৰমানৰ কাৰণেও দমাই ৰাখিব পৰা হ'লে ইমানদিনে দেশৰ কোটি কোটি পশু-বৎ জীৱন-যাপন কৰা মানুহৰ কাৰণে অন্ততঃ খোৱা পানী টোপাৰ ব্যৱস্থা নিশ্চয় হ'লহেঁতেন। কিন্তু যেতিয়াই প্ৰশ্ন উঠিছে – সমাজৰ দহজনৰ কাৰণে প্ৰাসাদোপম বাসগৃহ নে লক্ষজনৰ কাৰণে খোৱা পানীৰ ব্যৱস্থা, বা এজন মন্ত্ৰীৰ কাৰণে এখন বিলাসী মটৰ গাড়ী নে লক্ষজনৰ কাৰণে এখন চিকিৎসালয় – তেতিয়া দেশৰ চৰকাৰে প্ৰাসাদোপম বাসগৃহ বা মটৰ গাড়ীকেই অগ্ৰাধিকাৰ দি আহিছে। আশী হেজাৰ টকাৰ মটৰ গাড়ীত উঠি গৈ কোনোবা কংগ্ৰেছী মন্ত্ৰীয়ে যেতিয়া খাল-বিলৰ গেলা পানী খাই জীয়াই থকা গাঁৱৰ মানুহক গৈ কয় যে তিনিশ টকাৰ অভাৱৰ কাৰণে তেওঁলোকক এটা দমকল দিব পৰা নহয়, আতোকৈ নিৰ্মম ঠাট্টা পৃথিৱীত বোধহয় আন একোৱে হ'ব নোৱাৰে।

গান্ধী শতবাৰ্ষিকী আমি কেনেভাৱে পালন কৰা উচিত সেই কথা চিন্তা কৰিবলৈ গৈ ওপৰৰ কথাখিনি মনলৈ আহিল। আঠ লাখ টকাৰ গান্ধী মূৰ্তি নিৰ্মাণ কৰি বিবোৰ গৰ্বান্ধ মানুহে গান্ধীৰ স্মৃতি কুণ্ঠনীয়া কৰাৰ প্ৰয়াস কৰিছে, তেওঁলোকৰ কথা ভাবি আমিও আব্ৰাহাম লিংকনৰ দৰে কেৱল মনে মনে প্ৰাৰ্থনা কৰিছো— May God save my country - if there is God, and I have a country— লগে লগে মনত পৰিছে যে আঠ লাখ টকাৰে খুব কম পক্ষেও আঢ়ৈ হাজাৰটা দমকল বহুৱাব পাৰি আৰু তাৰ দ্বাৰাই আঢ়ৈ লাখ মানুহৰ খোৱা পানীৰ সংস্থান হয়। যি দৰিদ্ৰ-নাৰায়ণৰ সেৱা গান্ধীৰ জীৱনৰ একমাত্ৰ ব্ৰত আছিল, সেই দৰিদ্ৰ-নাৰায়ণক গেলি-পচি মৰিবলৈ এৰি দি আজি গান্ধীৰ শিষ্যবৰ্গই তেওঁৰ শতবাৰ্ষিকী উপলক্ষে আয়োজন কৰিছে প্ৰদৰ্শনী আৰু মেলাৰ, মেল-মিটিং আৰু তামাচাৰ। স্বাধীন ভাৰতৰ শাসক-পক্ষই গান্ধীক কোনো দিনেই মনে-প্ৰাণে গ্ৰহণ কৰা নাছিল, এই শতবাৰ্ষিকী উৎসৱৰ মাজতে তেওঁৰ বিসৰ্জন বোধহয় সম্পূৰ্ণ হ'ব।

গান্ধী শতবাৰ্ষিকী পালন কৰিবলৈ দুটাই মাত্ৰ পন্থা আছে। তাৰে এটা হ'ল কংগ্ৰেছী মন্ত্ৰী আৰু নেতাসকলৰ তীৰ্থ ভ্ৰমণ। এই তীৰ্থ অৱশ্যে কাশী, বৃন্দাবন বা মক্কা, জেৰুজালেম নহয়, ই হ'ল মেঠৰ-চণ্ডালৰ নৰক-কুণ্ড সদৃশ বস্তিৰ পৰা আৰম্ভ কৰি দেশৰ সৰ্বত্ৰ বিয়পি থকা দাৰিদ্ৰ্য জৰ্জৰিত অন্ধকাৰাচ্ছন্ন গাঁও-ভূঁইবোৰ। সকলো মন্ত্ৰী আৰু নেতাই গাইপতি একো একো অঞ্চল ভাগ কৰি লৈ এই শতবাৰ্ষিকী বছৰটোত সেই অঞ্চলবোৰত খোজ কাঢ়ি ভ্ৰমণ কৰক, মানুহৰ দুখ-দুৰ্দশা নিজ চকুৰে চাওক, আৰু কিছুমান কৰ্মী লগত লৈ বছৰত অন্ততঃ দিন-সাদিনৰ কাৰণে সেই অঞ্চলবোৰত সেৱাৰ কাম কৰক। গান্ধীক অনুসৰণ কৰিবলৈ এইটোৱেই একমাত্ৰ পথ।

দ্বিতীয় পন্থা হ'ল সকলো দুৰ্নীতি আৰু অপব্যয় বন্ধ কৰিবলৈ কঠোৰ সংকল্প গ্ৰহণ। কস্তুৰবাই আশ্ৰমৰ মাত্ৰ পাঁচটা টকা নিজৰ কাৰণে খৰচ কৰা কাৰণে গান্ধীজীয়ে পুতেকক বাজহুৱাভাৱে তিৰস্কাৰ কৰিছিল আৰু সেই মুহূৰ্ততে টকাকেইটা ঘুৰাই দিবলৈ তেওঁক বাধ্য কৰিছিল আৰু পুতেক মণিলালে আশ্ৰম কৰ্তৃপক্ষৰ অনুমতি নোলোৱাকৈ মাত্ৰ কেইটামান টকা ককায়েকক ধাৰলৈ দিয়াৰ কাৰণে গান্ধীজীয়ে চিৰকালৰ বাবে দক্ষিণ আফ্ৰিকালৈ নিৰ্বাসন দিছিল। কিন্তু আজি গান্ধীৰ শিষ্যসকলে কোটি কোটি টকাৰ বাজহুৱা পুঁজি আনে অপব্যয় কৰা দেখি নিজেতো নেদেখাৰ ভাও জুৰেই, নিজেও সুবিধা পালে বাজহুৱা ধনৰ এনেধৰণৰ অপ-ব্যৱহাৰ কৰিবলৈ অকণো কুণ্ঠিত নহয়। তেওঁলোকে আজি যদি সকলো ভণ্ডামি পৰিহাৰ কৰি গান্ধীৰ প্ৰতি প্ৰকৃততে বাৰ্ষিক শ্ৰদ্ধা আৰু আনুগত্য দেখুৱাব খোজে তেন্তে এই শতবাৰ্ষিকী তিথিতে সকলো দুৰ্নীতি আৰু বাজহুৱা পুঁজিৰ অপ-ব্যৱহাৰ বন্ধ কৰিম বুলি সঙ্কল্প লওক — গান্ধী শতবাৰ্ষিকী পালন কৰিবলৈ ইয়াতকৈ ভাল পন্থা আন একোৱেই হ'ব নোৱাৰে।

সাপ্তাহিক নীলাচল, ১৮শ সংখ্যা : ২৯ জানুৱাৰী, ১৯৬৯ চন

হিন্দী ভাষা আৰু অসম

হিন্দীক সংযোগকাৰী ভাষা হিচাবে গ্ৰহণ কৰিবলৈ প্ৰায়বোৰ অহিন্দীভাষী ৰাইজৰ দুৰ্থোৰ আপত্তি। কিন্তু এই সম্পৰ্কত অসমে বৰ বেছি উচ্চ-বাচ্য নকৰাৰ কাৰণে বাহিৰত এটা ভুল ধাৰণাৰ সৃষ্টি হৈছে যে হিন্দুৰ বিৰুদ্ধে অসমৰ আপত্তি হয়তো বৰ বেছি দৃঢ় বা সবল নহয়। সম্প্ৰতি ৰাষ্ট্ৰভাষাৰ প্ৰশ্নটো নতুনকৈ আকৌ মূৰ দাঙি উঠিছে। অলপতে মাদ্ৰাজত অহিন্দীভাষী ৰাইজবোৰৰ প্ৰতিনিধিসকলৰ এখন সভা হৈ গৈছে। দক্ষিণৰ ৰাজ্য কেইখনে হিন্দীক যে একমাত্ৰ ৰাষ্ট্ৰভাষা হিচাবে গ্ৰহণ নকৰে সেই কথা একেবাৰে খাটাং। হিন্দীতকৈ বহু গুণে উন্নততৰ সাহিত্য-সংস্কৃতিৰ অধিকাৰী বংগ দেশেও হিন্দী ভাষা গ্ৰহণ নকৰে। এনে এটা অৱস্থাত অসম যদি নীৰৱ হৈ থাকে, তেন্তে এই কথা সকলোৱে ধৰি লব যে অহিন্দীভাষী ৰাজ্যসমূহৰ ভিতৰত কেৱল অসমৰেই হিন্দীৰ বিৰুদ্ধে কোনো আপত্তি নাই। লগতে এই কথাও প্ৰমাণিত হ'ব যে যিহেতু অসমীয়া ভাষা কওঁতা মানুহৰ সংখ্যা তাকৰ, অসমীয়া ভাষা-সাহিত্যও অনুন্নত, অসমৰ অৰ্থনীতি দুৰ্বল, অসমৰ সাংস্কৃতিক গৰ্ববোধ নাই এতেকে অসমে বিনা প্ৰতিবাদে হিন্দীক গ্ৰহণ কৰি লোৱাটো তেনেই স্বাভাৱিক।

কিন্তু বাহিৰত এনে এটা ধাৰণাৰ সৃষ্টি হ'বলৈ দিয়াটো কেতিয়াও উচিত নহয়, কাৰণ হিন্দীৰ বিৰুদ্ধে আমাৰ বহুতৰে যথেষ্ট আপত্তি আছে। অসমৰ আন যিসকল লোকৰ হিন্দীৰ বিৰুদ্ধে আপত্তি আছে তেওঁলোকেও সময় থাকোঁতেই এই আপত্তি জনাই ৰখাটো উচিত হ'ব। অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি স্বৰ্গীয় জ্ঞাননাথ বৰাদেৱে অতি সবল যুক্তিৰে হিন্দীৰ বিৰুদ্ধে তেখেতৰ অভিমত জনাই গৈছিল। অলপতে বৰপেটাত বহিব লগা অসম সাহিত্য সভাৰ অধিবেশনতো এই বিষয়ে কিছু আলোচনা হ'লে ভাল হয়। হিন্দীৰ বিৰুদ্ধে আমাৰ আপত্তিৰ বহুতো কাৰণ আছে, তাৰ ভিতৰত মাত্ৰ এটা আমি ইয়াত উল্লেখ কৰিম। হিন্দীৱালাসকলে মুখত জাতীয় ঐক্য আৰু জাতীয় ভাষা আদি শ্ৰুতিমধুৰ যিমান কথাই নকওক, তেওঁলোকৰ গোপন উদ্দেশ্য হৈছে অৰ্থনৈতিক, আচল লক্ষ্য হৈছে হিন্দী ভাষাৰ বজাৰ সম্প্ৰসাৰণ। এই কথা সকলোৱে জানে যে পাঠকৰ সংখ্যা যিমানেই বৃদ্ধি পায় সেই অনুপাতে লিখকৰ আৰ্থিক লাভৰ সম্ভাৱনাও বাঢ়ি যায়। আজি হিন্দীভাষীসকলে চলে-বলে-কৌশলে ভাৰতত সৰ্বত্ৰ হিন্দী প্ৰচাৰ কৰিবলৈ উঠিপৰি লাগিছে। তাৰ একমাত্ৰ উদ্দেশ্য হ'ল হিন্দী সাহিত্যৰ কাৰণে বজাৰ দখল কৰা। জাতীয় সংহতিৰ সৰ্ব-ঢাক মন্ত্ৰ আনৰ চকুত ধূলি দিবৰ কৌশল মাত্ৰ। হিন্দীৰ এই আত্ম-সম্প্ৰসাৰণৰ চেষ্টাত আমি বাধা নিদিলোঁহেঁতেন বা তাক নিন্দা নকৰিলোঁহেঁতেন যদিহে হিন্দীৱালাসকলে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে সংখ্যালঘিষ্ঠ লোকসকলৰ ভাষাৰ প্ৰসাৰণত বা বিকাশত জোৰকৈ বাধা নিদিলেহেঁতেন। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা গৈছে যে দিল্লীৰ মছনদত অধিষ্ঠিত উত্তৰ ভাৰতীয় হিন্দী ভাষা-চক্ৰৰ সক্ৰিয় সহযোগিতাৰ বলত হিন্দীৱালাসকলে অন্যান্য ভাষাৰ বিৰুদ্ধে দলন-চক্ৰ চলাবলৈ চেষ্টা কৰিছে। তাৰ প্ৰমাণ অসমৰ নেফা অঞ্চল। হিন্দীৱালাসকলে গাৰ জোৰেৰে সেই অঞ্চলত উপনিবেশ স্থাপন নকৰা হ'লে বা নানা উপায়েৰে সেই অঞ্চলৰ জনসাধাৰণৰ মন অসমীয়া ভাষাৰ বিৰুদ্ধে বিষাক্ত কৰি নোতোলাহ'লে আজি স্বাভাৱিক নিয়মমতে নেফাত অসমীয়া ভাষা প্ৰচলিত

হ'লহেঁতেন। কাৰণ অসমীয়া ভাষা আছিল এই অঞ্চলৰ মানুহৰ দ্বিতীয় মাতৃভাষা। লেকা অঞ্চলত অসমীয়া ভাষা প্ৰচলিত হোৱা হ'লে আজি অসমীয়া ভাষা বিকাশৰ আৰু প্ৰসাৰৰ নতুন দিগন্ত উন্মোচিত হৈ গ'লহেঁতেন। কিন্তু হিন্দীবালাসকলে কেৱল গাৰ জোৰেৰে আৰু চৰম ঔদ্ধত্য প্ৰদৰ্শন কৰি কিভাৱে লেকাপৰা অসমীয়া ভাষাৰ নিৰ্বাসিত কৰিলে তাৰ দ্বাৰা অসমীয়া ভাষা-সাহিত্যৰ কিমান এটা বিৰাট ভৱিষ্যৎ সম্ভাৱনা বিনষ্ট কৰা হ'ল সেই কথা কল্পনা কৰাও টান। মুঠতে হিন্দীবালাসকলে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে অসমীয়া ভাষাৰ এটা অপূৰণীয় ক্ষতি সাধন কৰিলে। তেওঁলোকৰ মুখত দিনে-ৰাতিয়ে জাতীয় সংহতিৰ ৰাম-নাম, কিন্তু মনত একমাত্ৰ চিন্তা হিন্দী ভাষাৰ বজাৰ-সম্প্ৰসাৰণ। অন্যান্য অ-হিন্দীভাষী ৰাজ্যসমূহে হিন্দীবালাসকলৰ এই চক্ৰান্তৰ কথা ভালকৈয়ে বুজি পাইছে। সেই কাৰণে তেওঁলোকে হিন্দীৰ বিৰুদ্ধে তেওঁলোকৰ আপত্তি খোলাখুলিকৈ জনাই দিছে। কেৱল অসমেহে এই ক্ষেত্ৰত আজিলৈকে দ্বিধাগ্ৰস্ত মনোভাৱ আৰু দুৰ্বলতাৰ পৰিচয় দি আহিছে। আমি ভাবোঁ — অসমে হিন্দীক সৰ্বভাৰতীয় সংযোগ-ৰক্ষা-কাৰী ভাষা হিচাবে গ্ৰহণ কৰিবলৈ ৰাজী হ'বৰ কাৰণে এটা চৰ্ত আগবঢ়োৱা উচিত। সেইটো হৈছে এই যে হিন্দীবালাসকলে লেকাত জোৰকৈ হিন্দী জাপি দিয়াৰ পৰিবৰ্তে সেই অঞ্চলত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যমৰূপে প্ৰচলন কৰিব লাগিব। দ্বিতীয়তে লেকাক অসমৰ লগত চামিল কৰাৰ ব্যৱস্থা খৰচুৰীয়া কৰিব লাগিব। সেইটো কৰিলেহে অন্ততঃ অসমৰ সম্পৰ্কত হিন্দীবালাসকলৰ মতি-গতি সন্দেহ-মুক্ত বুলি আমি ধৰি লব পাৰিম। অসমে এই কথা স্পষ্টভাৱে জনাই দিয়া উচিত যে সেইটো নকৰালৈকে এই ৰাজ্যই কেতিয়াও হিন্দীৰ দাবী মানি নলয় বা একমাত্ৰ সংযোগ-ৰক্ষা-কাৰী ভাষা হিচাবে হিন্দীক গ্ৰহণ নকৰে।

সাপ্তাহিক নীলাচল, ১৯শ সংখ্যা : ৫ ফেব্ৰুৱাৰী, ১৯৬৯ চন

অসম সাহিত্য সভা

অসম সাহিত্য সভা স্থাপনৰ বছৰ গণনা কৰিলে এই বছৰতে দুকুৰি বাৰ বছৰ হয়গৈ। অৰ্থাৎ অৰ্দ্ধ শতাব্দীৰো অধিক কাল। এসময়ত বৃটিছ যুগত এই সভা সম্পূৰ্ণৰূপে ভাষা আৰু সাহিত্যৰ উন্নতিমূলক প্ৰতিষ্ঠানেই আছিল। সেই যুগত অসম উপত্যকাৰ কমিছনাৰ স্বৰ্গীয় কৰ্ণেল গৰ্ডন চাহাবেও এই সভাৰ সভাপতিৰ আসন অলংকৃত কৰি গৈছে। তেওঁ অসমীয়া ভাষা-সাহিত্যৰ কাৰণে যথেষ্ট কৰি গৈছে। তেওঁ নহয় আন এজন ইংৰাজ বিষয়া সেই সময়ত থকা হ'লে হেমকোষ ছপা কিজানি হৈ নুঠিলহেঁতেন। তদুপৰি তেওঁ অসমীয়া ভাষাৰ খণ্ড-বাক্যবোৰৰ ফঁকৰা-যোজনাৰ পুথি এখন ছপাইছিল। অৱসৰ লৈ তেওঁ বিলাতলৈ গৈও লণ্ডন বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ অধ্যাপনা কৰিছিল।

আজি কিন্তু এই সভাই ৰাজনীতিত হাত নিদিলেও ৰাজনীতি বিষয়ত মাত মাতিব লগা হৈছে, আৰু পাকে-প্ৰকাৰে মাতিছেও। কাৰণ সাহিত্যক ৰাজনীতিৰ লগত জুই-পানীৰ দৰে বেলেগ কৰি ৰাখিব নোৱাৰি। যি হওক, বৰপেটাৰ এই অধিবেশন সম্পৰ্কে ভাবিবলৈ গ'লে অলপ আচৰিত হ'ব লাগে। দূৰ ইংৰাজ যুগৰ ১৯১৯ চনত এবাৰ বিপুল সমাৰোহেৰে পতা এই পবিত্ৰ অনুষ্ঠান আজি ৫০ বছৰত অৰ্থাৎ অৰ্ধ শতিকা পাছত পতা হৈছে। এই কথা ভাবিলেও শৰীৰ ৰোমাঞ্চিত হয়, আশা কৰিব পাৰি এই দীঘল দিনৰ অকাল টোপনি আঁতৰাই নতুন পোহৰৰ জল্‌মলনি আনি দিব। কিন্তু বিস্ময় হয় কিহৰ এই দুৰ্যোৰ নিদ্ৰা? হ'ব পাৰে পাৰিপাৰ্শ্বিক অৰ্থনৈতিক অৱস্থান্তৰৰ। ৫০ বছৰৰ আগৰ অৱস্থা আজি সপোনৰ কথা। বৰপেটাৰ ধন-মানৰ দাবী আগেয়ে যেনেকৈ বৰপেটা অঞ্চলে কৰিব পাৰিছিল আজি আৰু নোৱাৰে। অসমীয়া সাহিত্যত ৰাপ নথকা অসমৰ স্বাৰ্থৰ বিপৰীতে নিজৰ স্বাৰ্থৰ অৰ্থে কাম কৰা লাখ লাখ মানুহৰ হাতত আজি নামনি অসমৰ ভাগ্য দোদুল্যমান। সাহিত্য-সংস্কৃতি, ধৰ্ম-সমাজ আজি সেইবাবেই সশংকিত অৱস্থাত খোজ দিব লগা হৈছে। আজি এই অঞ্চলৰ চেঙ্খাচৰ অসমীয়া কিমান পৰিমাণে মনে-প্ৰাণে অসমীয়া সেইটো অনুমান কৰিব নোৱাৰি। এই কথা নক'ৰ খুজিলেও ক'ব লগা হৈছে সত্যৰ খাতিৰত। বৰপেটা অঞ্চলৰ বাহিৰে এই আঢ়ৈকুৰি বছৰ নিজৰ খোপনি ৰক্ষা কৰাৰ চেষ্টাতেই ব্যস্ত হৈ থকা যেন দেখা যায়, আনুষ্ঠানিকভাবে সাহিত্য সভাৰ ককত মন দিবলৈ প্ৰেৰণাকে পোৱা নাই।

বৰপেটাক কেন্দ্ৰ কৰি এইখিনি ঠাইতে কোচবিহাৰ ৰাজ্যৰ ছত্ৰছায়াত থাকি শঙ্কৰদেৱ, মাধৱদেৱ, ভট্টদেৱ আদি পণ্ডিতসকলৰ লিখনিৰ প্ৰভাৱেৰে বৈষ্ণৱী যুগৰ কামৰূপী সাহিত্যৰ (যাক পিচলৈ অসমীয়া সাহিত্য বোলা হয়) নৱ-যৌৱন আৰম্ভ হৈছিল। কিন্তু কোঁচ ৰাজ্যৰ পতনৰ পিচত আৰু মানৰ আক্ৰমণৰ প্ৰভাৱত নানা ৰাজনৈতিক বিপৰ্য্যয়ে দেখা দিয়াত অসমীয়া সাহিত্য জীৱন্মৃত অৱস্থাত ৰকলাগীয়া হ'ল। এই অৱস্থা কম-বেছি পৰিমাণে গোটেই অসমজুৰি হৈছিল। পিছত ইংৰাজ ক্ষমতা প্ৰতিষ্ঠিত হোৱাত লাহে লাহে বঙলা ভাষাৰ হেঁচাৰণৰা অসমীয়া ভাষাই আকৌ মূৰ দাঙি উঠিল। এইবাৰ কিন্তু ইয়াৰ প্ৰাণকেন্দ্ৰ বৰপেটাৰপৰা শিৱসাগৰলৈ গ'ল। বৰপেটাত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰৰ মাধ্যম আছিল, এইবাৰ হ'ল খৃষ্ট ধৰ্ম প্ৰচাৰৰ বাহন। তথাপি কিন্তু ই সেই বাটেদি বেছিদিন আগবাঢ়িব নোৱাৰিলে। সৰ্বসাধাৰণ শিক্ষাৰ আন্দোলনে ইয়াৰ ৰূপ

পৰিবৰ্তন ঘটাব ধৰিলে আৰু শেষলৈ আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আদিৰ যত্নত সাহিত্যৰ স্বাভাৱিক গতিৰে আত্মপ্ৰতিষ্ঠাৰ বাটেদি আগবাঢ়িব ধৰিলে আৰু দোপতদোপে উন্নতিও কৰিলে। কিন্তু দুখৰ বিষয়, নামনিৰ বৰপেটা এবাৰাৰী হৈয়ে ৰ'ল, নতুন সাহিত্য আন্দোলনৰ ঢৌৱে তাক স্পৰ্শ নকৰিলে। গদ্য-সাহিত্য, পঢ়াশলীয়া পুথি, অভিধান, ব্যাকৰণ আদিয়ে নতুন ৰূপ ধৰি উঠিল, যদিও নামনিৰ বৰপেটা অঞ্চলে তাত আওৰাব নোৱাৰিলে। মাত্ৰ বৰপেটাৰ সেই যুগৰ একমাত্ৰ লিখক আনন্দৰাম ঢেকিয়াল ফুকনৰ সমবয়সী স্বৰ্গীয় গোবিন্দৰাম চৌধুৰীয়ে 'সূতিকা পটল' নামে ধাত্ৰী বিদ্যাৰ এখন কিতাপ লিখিছে পদ্য ছন্দত। লিখাৰ সময় ১৭৬৬ শক। এনেখন কিতাপ পদ্যত লিখাৰপৰা বুজিব পাৰি নতুন ধৰণে দেখা দিয়া গদ্যই ইফালে একো গা কৰিব পৰা নাছিল। নলবাৰীৰ ৰমাকান্ত চৌধুৰীৰ অভিমন্যু বধ কাব্য, সীতা হৰণ আৰু ৰাৱণ বধ নাটকৰ সময় ১৮৪৪-১৮৮৯ চনৰ ভিতৰতে। এইবোৰো অমিত্ৰাক্ষৰ ছন্দত লিখিছিল। জানিব পৰা যাব — সাহিত্যৰ নৱ-যুগৰ গদ্য-প্ৰবাহে এই অঞ্চলত সোমাবৰ সন্ধিকে নাপালে। ফলত নামনিৰ বহল অঞ্চল এটাত অসমীয়া ভাষা কাৰোবাৰ কোনোবা যেন হৈ থাকিল। এই ঠাইৰ মুখিয়ালসকলে আগৰ চলতি বঙলা ভাষাৰ ৰসতে মজি ৰ'ল। বৰপেটাৰ তিথি বায়নে গোবিন্দৰাম চৌধুৰীৰ ৰচিত 'ৰাধিকাৰ মান-ভঞ্জন' আদি বঙলা যাত্ৰা গানেদি দল গোটাই যাত্ৰা মেলি নাচে গাৰে শিৱসাগৰ পৰ্যন্ত উজাইছিল। বঙলা যাত্ৰা গানৰ পালাতো ১৯১০-১১ চনলৈকে বৰপেটাত পূৰ্ণ মাত্ৰাই চলি আছিল।

অন্তৰ্বৰ্তী নিৰ্বাচনী যুদ্ধত জয়-পৰাজয়ৰ তাৎপৰ্য্য

অন্তৰ্বৰ্তী নিৰ্বাচনী যুদ্ধত পশ্চিম বংগত কংগ্ৰেছৰ জীবন্ত সমাধি ঘটিছে। পাঞ্জাবতো এই দল এনেভাৱে ধৰাশায়ী হৈছে যে সহজে সি মূৰ দাঙি উঠিব পৰাৰ আশা নাই। উত্তৰ-ভাৰতীয় প্ৰতিক্ৰিয়াশীলতাৰ পীঠ-স্থান উত্তৰ প্ৰদেশ আৰু বিহাৰতো অৱশ্যে কংগ্ৰেছে যথেষ্টসংখ্যক আসন লাভ কৰি নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সমৰ্থ হৈছে, কিন্তু সেই দুখন ৰাজ্যতো কংগ্ৰেছৰ পূৰ্বৰ গৌৰৱৰ যুগ সম্পূৰ্ণৰূপে অন্তৰ্হিত, এতিয়া কংগ্ৰেছে তাত আত্মৰক্ষাৰ মৰণ-পণ সংগ্ৰামৰ শেষ পৰ্য্যায়ত উপনীত হৈছে বুলি ক'ব পাৰি।

নিৰ্বাচনী-যুদ্ধৰ এনে পৰিণাম সম্পূৰ্ণ অপ্ৰত্যাশিত আছিল যদিও কংগ্ৰেছ বিৰোধী দলসমূহে এনে বিৰাট সংখ্যাধিক্যত (বিশেষকৈ পশ্চিম বংগত জয়লাভ কৰিব পাৰিব বুলি কোনো আশা কৰা নাছিল। লগতে যদি আমি এই কথা মনত ৰাখো যে ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পাচত ভাৰতৰ যিবোৰ ৰাজ্যত অ-কংগ্ৰেছী সন্মিলিত চৰকাৰ গঠিত হৈছিল, সেইবোৰ ৰাজ্যৰ জনসাধাৰণে নানা অনিশ্চয়তা, অস্থিৰতা ব্যাপক দল ত্যাগ আৰু অশান্তিৰ তিক্ত অভিজ্ঞতা লাভ কৰিবলগা হৈছিল — তেতিয়াহ'লে অন্তৰ্বৰ্তী নিৰ্বাচনত কংগ্ৰেছ-বিৰোধী দলসমূহৰ এই চমকপ্ৰদ সাফল্যই আৰু অধিক তাৎপৰ্য্যমণ্ডিত হৈ আমাৰ চকুৰ আগত দেখা দিয়ে। ঠিক যি অৱস্থাত অকংগ্ৰেছী সন্মিলিত চৰকাৰসমূহ পতন ঘটিছিল আৰু কিছুমান স্বাৰ্থান্বেষী আদৰ্শহীন লোকে এই চৰকাৰ ভঙা-পতাৰ যিধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল — তালৈ চাই এই কথা ভাবিবলৈ নিশ্চয় থল আছিল যে সেইবোৰ ৰাজ্যৰ জনসাধাৰণৰ বোধহয় অকংগ্ৰেছী সন্মিলিত চৰকাৰৰ স্থায়িত্ব আৰু সামৰ্থ সম্পৰ্কে সম্পূৰ্ণ মোহভঙ্গ ঘটিছে; আন একো নহ'লেও কেৱল স্থায়িত্ব আৰু নিশ্চয়তাৰ কাৰণেই তেওঁলোকে পুনৰ কংগ্ৰেছ দলকে ক্ষমতাত অধিষ্ঠিত কৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীৰপৰা আৰম্ভ কৰি সামান্যতম কৰ্মীলৈকে কংগ্ৰেছ দলৰ সকলোৰে এইবাৰৰ নিৰ্বাচনী শ্লোগানো আছিল সেই একেটাই -- ষ্টেবিলিটি— প্ৰশাসনীয় স্থিৰতা আৰু তেওঁলোকে নিৰ্বাচক-মণ্ডলীক এই কথা পতিয়ন নিয়াবলৈ আপ্ৰাণ চেষ্টা কৰিছিল যে যিহেতু কংগ্ৰেছৰ বাহিৰে আন কোনো দলেই বা দল-সমষ্টিয়েই সুস্থিৰ চৰকাৰ গঠন কৰিব নোৱাৰে, গতিকে কংগ্ৰেছক ভোট দি জয়যুক্ত কৰাৰ বাহিৰে ৰাইজৰ কোনো গত্যন্তৰ নাই। কিন্তু এইবোৰ যুক্তিত অকণো ভোল নগৈ বা সুস্থিৰতাৰ বিনিময়ত স্থিতাৱস্থাৰ পৰিবৰ্তনক বলি নিদি বিশেষকৈ পশ্চিম বংগৰ জনসাধাৰণে যি বিপ্লৱী আৰু আশাবাদী মনোভাৱৰ পৰিচয় দিলে সি ভাৰতৰ ৰাজনীতিত এটা নতুন দিগ্‌দৰ্শনৰ সূচনা কৰিছে বুলি ক'ব পাৰি। ইয়াৰ পাচত ভাৰতীয় ৰাজনীতিৰ গতিধাৰা আৰু একে হৈ নাথাকিব। ভাৰতীয় ৰাইজৰ মনোভাৱ একে হৈ নাথাকিব, লগে লগে প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ ৰণ-কৌশলো একে হৈ নাথাকিব।

হিংসাত্মক বিপ্লৱৰ পথেদি ভাৰতৰ সামাজিক পৰিবৰ্তন অনাৰ কোনো উপায় নাই। সি ৰাজনীয়ও নহয়। বেলট পেপাৰেই আমাৰ একমাত্ৰ অস্ত্ৰ। যোৱা তিনি বছৰৰ অভিজ্ঞতাৰ ফলত পশ্চিমবংগ বা পাঞ্জাব বা বিহাৰৰ ৰাইজে যদি ক্লান্ত বা অধৈৰ্য্য হৈ কংগ্ৰেছকেই পুনৰ সেইবোৰ ৰাজ্যৰ শাসনভাৰ গোটাই দিলেহেঁতেন

তেতিয়াহ'লে সি হ'লহেঁতেন ভাৰতীয় গণতন্ত্ৰৰ কাৰণে এটা চৰম বিপৰ্য্যয়। কাৰণ তেতিয়া হয়তো মানুহে বেলট পেপাৰৰ শক্তি আৰু সম্ভাবনাত বিশ্বাস হেৰুৱাই পেলালেহেঁতেন আৰু বিক্ষিপ্তভাৱে হ'লেও দেশৰ ঠায়ে ঠায়ে হিংসাত্মক বিক্ষোভৰ সম্ভাৱনা অধিক অপ্ৰতিৰোধ্য হৈ উঠিলহেঁতেন। অন্তৰ্বৰ্তী নিৰ্বাচনৰ ফলাফলে সমাজ-বিপ্লৱৰ শক্তিশালী অস্ত্ৰ হিচাবে বেলট পেপাৰৰ ওপৰত ৰাইজৰ আস্থা কিছু পৰিমাণে হ'লেও ঘুৰাই আনিছে বুলি ক'ব পাৰি। এইটোৱেই হৈছে যোৱা অন্তৰ্বৰ্তী নিৰ্বাচনৰ আটাইতকৈ উল্লেখযোগ্য তাৎপৰ্য্য।

যোৱা কেইবছৰমান ধৰি ভাৰতত সাম্প্ৰদায়িকতাই ভয়াবহ ৰূপ ধাৰণ কৰিবলৈ আৰম্ভ কৰিছিল। এই সাম্প্ৰদায়িকতাবাদৰ প্ৰতীক ৰূপে থিয় দিছিল উত্তৰ ভাৰতৰ শক্তিশালী গোঁ-পন্থী ৰাজনৈতিক দল জনসংঘ। কিন্তু অন্তৰ্বৰ্তী নিৰ্বাচনত জনসংঘই সংশ্লিষ্ট আটাইকেইখন ৰাজ্যতে শোচনীয় ব্যৰ্থতাৰ সন্মুখীন হৈছিল। ইয়াৰ ফলত সাময়িকভাৱে হ'লেও সাম্প্ৰদায়িক ৰাজনীতিৰ গতি-বেগ কিছু পৰিমাণে ব্যাহত হ'ব বুলি আশা কৰিব পাৰি। ই নিশ্চয় এটা শুভ-লক্ষণ। পাঞ্জাবত অৱশ্যে আকালী আৰু জনসংঘ — এই দুয়োটা সাম্প্ৰদায়িক দলৰ মিলিত শক্তিয়েই জয়লাভ কৰিছে। এই অবাঞ্ছনীয় পৰিস্থিতিৰ একমাত্ৰ আশাপ্ৰদ দিশ হ'ল এইটোৱেই যে আকালী আৰু জনসংঘ দুয়ো দলে একেলগে কাম কৰিব লগা হোৱাৰ ফলত পাঞ্জাবৰ দুটা প্ৰধান সম্প্ৰদায় হিন্দু আৰু শিখসকলৰ বহুদিনৰ পুৰণি বিবাদৰ অৱসান হৈ এক নতুন সম্প্ৰীতিৰ যুগৰ সূচনা হ'ব বুলি আশা কৰিব পাৰি।

এই নিৰ্বাচনে আৰু এটা কথা প্ৰমাণ কৰি দিলে যে প্ৰজা চচিয়েলিষ্ট পাৰ্টিয়ে ভাৰতৰ ৰাজনীতিৰ মঞ্চত ক্ৰমাগতভাৱে পশ্চাৎপদসৰণ কৰিবলৈ বাধ্য হৈছে আৰু ডঃ লোহিয়াৰ মৃত্যুৰ পাচত সংযুক্ত চচিয়েলিষ্ট পাৰ্টিয়েও নেতৃত্বৰ খোৱা-কামোৰাত লাগি তাৰ বিপ্লৱী চৰিত্ৰ হেৰুৱাই পেলাইছে। অন্তৰ্বৰ্তী নিৰ্বাচনৰ ফলাফলে এই দুয়োটা পাৰ্টিৰ কাৰণেই আত্ম-সমীক্ষাৰ প্ৰয়োজন অতিশয় জৰুৰী আৰু গভীৰ কৰি তুলিছে।

কোৱা বাহুল্য মাথোন যে এই সংক্ষিপ্ত সম্পাদকীয় প্ৰবন্ধত অন্তৰ্বৰ্তী নিৰ্বাচনৰ আটাইবোৰ তাৎপৰ্য্য সামৰি লব পৰা হোৱা নাই। আমি কোৱা হয়তো কথা বিতৰ্কমূলক হ'ব পাৰে বা সেইবোৰত মতভেদৰ অৱকাশ থাকিব পাৰে। কিন্তু এটা বিষয়ে বোধহয় কোনো সন্দেহ নাই যে এই নিৰ্বাচনৰ ফলাফলে সংসদী গণতন্ত্ৰৰ মুকলি পথলৈ ভাৰতৰ হতাশা-জৰ্জৰিত জনসাধাৰণক আকৌ এবাৰ আহ্বান কৰিছে। অহা কেইবছৰমানত যদি কংগ্ৰেছ-বিৰোধী প্ৰগতিবাদী দলসমূহে প্ৰতি মুহূৰ্ততে জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি নিজৰ দায়িত্ব নিষ্ঠাৰে সৈতে পালন কৰে তেন্তে ভাৰতবৰ্ষত গণতন্ত্ৰ এটা ডাঙৰ অগ্নি-পৰীক্ষাত উত্তীৰ্ণ হ'ব আৰু শান্তিপূৰ্ণ উপায়েৰে সামাজিক পুনৰ্বিন্যাসৰ কাম নিশ্চয় আগবাঢ়িব।

বিধান সভাৰ চলিত অধিবেশন

ৰাইজৰ দাবী (১)

যোৱা ১৯ ফেব্রুবাৰীৰপৰা অসম বিধান সভাৰ বাজেট অধিবেশন আৰম্ভ হৈছে। আমি আশা কৰিছোঁ যে বিধান সভাৰ মজিয়াত সমাজৰ সৰ্বাংগীণ উন্নতি আৰু প্ৰগতিৰ বাবে ৰাইজে বাছি দিয়া প্ৰতিনিধিসকলে বিভিন্ন বিষয়ৰ ওপৰত কৰা আলোচনাত জনসাধাৰণৰ ক্ষোভ আৰু যন্ত্ৰণা, নৈৰাশ্য আৰু অস্থিৰতা, অন্যায়ৰ বিৰুদ্ধে ক্ৰোধ আৰু নতুন জীৱনৰ প্ৰতি ব্যাকুলতা নিৰ্ভুলভাৱে প্ৰতিফলিত হ'ব, আৰু তাৰ ফলস্বৰূপে সাধাৰণ ৰাইজৰ সামাজিক আৰু অৰ্থনৈতিক মুক্তিৰ বাটত থকা প্ৰতিবন্ধকবোৰ ক্ৰমে ক্ৰমে অপসাৰিত হ'ব। কিন্তু ইয়াকে কৰোঁতে ৰাইজৰ প্ৰতিনিধিসকলে অধিক লক্ষ্য ৰাখিব লাগিব সময়ৰ প্ৰতি; তেওঁলোকে সততে মনত ৰাখিব লাগিব যে সু-দিনৰ কাৰণে দীৰ্ঘকাল ধৰি প্ৰতীক্ষা কৰি কৰি জনসাধাৰণ ধৈৰ্য্য-চ্যুতি ঘটিবৰ উপক্ৰম হৈছে – অবাবত আৰু এটা দিনো বেছিকৈ প্ৰতীক্ষা কৰিবলৈ তেওঁলোক ৰাজী নহয়। তেওঁলোকৰ মনত পুঞ্জীভূত হৈ থকা অসন্তুষ্টিয়ে যদি প্ৰচণ্ড বিস্ফোৰণৰ ৰূপত আত্মপ্ৰকাশ কৰিব নালাগে, তেন্তে চৰকাৰে নানা অজুহাতত বছৰৰ পাচত বছৰ ধৰি অমীমাংসিত কৰি ৰখা ঘাই ঘাই অৰ্থনৈতিক আৰু সামাজিক সমস্যাবোৰৰ অতি দ্ৰুগতিৰে সমাধান কৰিব লাগিব; তাকে নকৰি ৰাইজক প্ৰবঞ্চিত কৰিবলৈ গ'লে অতি সোনকালেই আমাৰ ৰাজ্যত ব্যাপক অশান্তি আৰু গণ-বিক্ষোভ অৱশ্যম্ভাৱী হৈ পৰিব। শোষিত আৰু পদদলিত জনতাৰ প্ৰতিবাদৰ কণ্ঠস্বৰ ছলে-বলে-কৌশলে কিছুকাললৈ হয়তো বন্ধ কৰি ৰাখিব পাৰি, কিন্তু চিৰকাললৈ নিশ্চয় নোৱাৰি। পৃথিবীৰ বিভিন্ন দেশৰ, বিভিন্ন যুগৰ বিপ্লৱৰ ইতিহাস যিয়েই পঢ়িছে তেৱেঁই এই কথা ভালকৈ জানে। যিসকলে নাজানে বা জানিবৰ চেষ্টা কৰা নাই, তেওঁলোকক স্মৰণ কৰাই দিয়া উচিত দাৰ্শনিক জৰ্জ চাণ্টায়ানাৰ এষাৰ কথা : A people that does not know history is fated to repeat it.

সি যি কি নহওক, বিধান সভাৰ বাজেট অধিবেশন বহাৰ সুযোগতে আমি এলানি সম্পাদকীয় প্ৰবন্ধত আমাৰ কেইটামান মৌলিক সমস্যাৰ প্ৰতি ৰাইজৰ প্ৰতিনিধিসকল, চৰকাৰ আৰু দেশৰ চিন্তাশীলসকলৰ মনোযোগ আকৰ্ষণ কৰিব খোজো। প্ৰথমতে মাটিৰ সমস্যাৰ কথাই ধৰা যাওক, কাৰণ কৃষিপ্ৰধান অসমত ভূমি-নীতিৰ বৈপ্লৱিক সংস্কাৰ-সাধন নোহোৱা পৰ্য্যন্ত বা মাটিহীন খেতিয়কৰ মাটিৰ সমস্যাৰ সমাধান নোহোৱা পৰ্য্যন্ত নতুন সমাজ-ব্যৱস্থা স্থাপন কৰাৰ কথা চিন্তা কৰিব নোৱাৰি। এই কথা দ্বিৰুক্তি কৰাৰ কোনো প্ৰয়োজন নাই যে, স্বৰাজ লাভৰ পাচৰে পৰা যোৱা একৈশ বছৰে অসমৰ কংগ্ৰেছী চৰকাৰে মাটি সম্পৰ্কে কোনো সুস্পষ্ট আৰু বৈপ্লৱিক নীতি গ্ৰহণ কৰা নাই— যাৰ দ্বাৰা মাটিহীন খেতিয়কে মাটি পাব পাৰে, কৃষি অৰ্থনীতিত নতুন প্ৰাণৰ সঞ্চাৰ হ'ব পাৰে, সকলো শোষণৰ অন্ত হৈ সামাজিক ন্যায় প্ৰতিষ্ঠিত হ'ব পাৰে। জনস্বাৰ্থৰ অনুকূল সুস্পষ্ট নীতি গ্ৰহণ নকৰা হেতু বৰ্তমান ভৈয়ামৰ আটাইকেইখন জিলাতেই ভূমিহীন থলুৱা কৃষকে গণ-বিপ্লৱ কৰিবলৈ উদ্যত হৈছে। আজি অসম চৰকাৰৰ হাতত কোনো সুস্পষ্ট মাটি বিতৰণ নীতি নাই, বিতৰণযোগ্য মাটিৰ নিৰ্ভুল হিচাব নাই, থলুৱা মাটিহীন লোকৰ প্ৰকৃত হিচাব নাই,

অনুপ্ৰৱেশকাৰী বেদখলকাৰীৰ সঠিক হিচাব নাই — আৰু নাই থলুৱা মাটিহীন লোকৰ সমস্যা সমাধানৰ কোনো নিৰ্দিষ্ট আঁচনি বা পৰিকল্পনা। অথচ বছৰে বছৰে এনে মাটিহীন লোকৰ সংখ্যা বাঢ়িয়েই আছে। লগে লগে বাঢ়ি গৈ আছে সমস্যাৰ জটিলতা।

অসম চৰকাৰৰ মাটি সম্পৰ্কীয় নীতিত চৰম খাম-খেয়ালী, আদৰ্শহীনতা আৰু দুৰ্নীতিৰ চূড়ান্ত নিদৰ্শন স্বৰূপে আমি গুৱাহাটী আৰু তাৰ চাৰিওকাষৰ অঞ্চলটোক লব পাৰো। এই অঞ্চলত বহু বছৰ ধৰি চলা আৰু আজি পৰ্য্যন্ত শেষ নোহোৱা ৰি-চেটেল্‌মেণ্ট্ অপাৰেচন্‌ৰ ৰহস্যাবৃত ইতিহাস জনসাধাৰণৰ চকুৰ আগত আজিও উদ্‌ঘাটিত হোৱা নাই, কেতিয়াবা হ'লে সি এটা প্ৰচণ্ড বিস্ফোৰণৰ সৃষ্টি কৰিব। গোৱালপাৰা জিলাতো এই সমস্যাই ইতিমধ্যে এটা আগ্নেয়গিৰিৰ সৃষ্টি কৰিছে। গুৱাহাটীৰ চতুঃপাৰ্শ্বত সহজ-সৰল আৰু অজ্ঞ জনজাতীয় লোকসকলে পুৰুষানুক্ৰমে ভোগ-দখল কৰি মাটিত তেওঁলোকৰ একচনীয়া ম্যাদী পট্টা হোৱা দূৰৰ কথা— সেই মাটিৰ ৰাজনৈতিক চক্ৰান্ত আৰু অবিবেচক আমোলা-তন্ত্ৰৰ দুৰ্নীতিৰ ফলত ধনশালী আৰু ৰাজনৈতিক ক্ষমতাৱন্ত একশ্ৰেণীৰ লোকৰ হাতলৈ ৰূপান্তৰিত হৈছে বুলি মৌন অভিযোগ পুঞ্জীভূত হৈ উঠিছে। কিন্তু এই অভিযোগক সৰৱ কৰি তুলিবলৈ, কোনো আগবাঢ়ি অহা নাই। আমি সেই কাৰণেই দাবী কৰোঁ যে গুৱাহাটী আৰু চতুঃপাৰ্শ্বত যোৱা কুৰি বছৰে হোৱা মাটি বিতৰণ আৰু বন্দবস্তীৰ বিষয়ে খৰচি মাৰি তদন্ত কৰিবলৈ অতি সোনকালে এটা সৰ্বদলীয় তদন্ত কমিটী গঠন কৰি দিব লাগে। ঠিক সেইদৰে আন এটা শক্তিশালী তদন্ত কমিটী গঠিত হোৱা উচিত সমগ্ৰ ৰাজ্যখনৰ মাটি বিতৰণ আৰু সেই সম্পৰ্কীয় নীতি পৰীক্ষা কৰি চাবৰ কাৰণে। এই দুয়োটা কমিটীয়ে যাতে প্ৰকৃত থলুৱা মাটিহীন লোক আৰু বিতৰণ-যোগ্য মাটিৰ (চাহ বাগিচাৰ পতিত মাটিকে ধৰি) এটা নিৰ্ভুল হিচাপ পাব পাৰে তাৰ ধৰতকীয়া ব্যৱস্থা কৰা উচিত। মুঠতে বিধান সভাৰ চলিত অধিবেশনতে মাটি বিতৰণ আৰু বন্দবস্তী সম্পৰ্কে সহৃদয়তা-সূচক সুস্পষ্ট আৰু বৈপ্লৱিক নীতি গৃহিত হ'ব বুলি আমি পৰম আশাৰে বাট চাই থাকিলোঁ।

সাপ্তাহিক নীলাচল, ২৩ সংখ্যা : ৫ মার্চ, ১৯৬৯ চন

বিধান সভাৰ চলিত অধিবেশন

ৰাইজৰ দাবী (২)

যোৱা ১২ ফেব্ৰুৱাৰী তাৰিখৰ আমাৰ কাকতত 'বিৰোধী-দল' শীৰ্ষক সম্পাদকীয় প্ৰবন্ধৰ যোগেদি অসমত এটা সম্মিলিত বিৰোধী দল গঠন কৰিবলৈ আটাইবোৰ কংগ্ৰেছ-বিৰোধী বাওঁ-পন্থী দলকে আমি আহ্বান কৰিছিলোঁ। উক্ত সম্পাদকীয় প্ৰবন্ধ লিখিবৰ সময়ত অন্তৰ্বৰ্তী নিৰ্বাচনৰ ফলাফল ঘোষিত হোৱা নাছিল; পশ্চিম বঙ্গত বাওঁ-পন্থী যুক্ত-ফ্ৰন্টৰ বিস্ময়কৰ সাফল্যৰ কথাও সেই দলৰ নেতাসকলেও নিশ্চয় ভাবিব পৰা নাছিল। সি যি কি নহওক, পশ্চিম বঙ্গত যুক্ত-ফ্ৰন্টৰ বিৰাট জয়লাভে আমাৰ এই আহ্বান অতিশয় সময়োপযোগী বুলি প্ৰমাণ কৰিলে। এতিয়া আমি জানিবলৈ পাই অতিশয় সুখী হৈছোঁ যে অসমৰ বিৰোধী দলসমূহে এই ৰাজ্যতো এটা যুক্ত-ফ্ৰন্ট গঠন কৰিবলৈ আগবাঢ়ি আহিছে, এই সম্পৰ্কত প্ৰাথমিক আলোচনাও আৰম্ভ হৈছে। এই চেষ্টা যাতে অতি সোনকালে ফলৱতী হয় তাৰ বাবে আমি আমাৰ আন্তৰিক শুভ-ইচ্ছা আৰু নৈতিক সমৰ্থন আগ বঢ়াইছো। কিন্তু তাৰ লগতে আমি এই কথাও কৈ থব খোজোঁ যে বিৰোধী দলসমূহে যদি বিধান সভাৰ চলিত অধিবেশনৰ ভিতৰতে এনে এটা যুক্ত-ফ্ৰন্ট গঠন কৰি এজন নেতাৰ অধীনত এটা মাত্ৰ বিৰোধী দল হিচাবে পৰিগণিত হ'বলৈ সক্ষম হয়, তেতিয়াহে আমি তেওঁলোকৰ আন্তৰিকতাৰ প্ৰমাণ পাম। তাকে কৰিব নোৱাৰিলে ৰাইজে নিশ্চয় তেওঁলোকক ক্ষমা নকৰিব।

এইখিনিতে অসমৰ জনসাধাৰণক আৰু বিৰোধী দলসমূহক এটা বিশেষ কথাৰ বিষয়ে সতৰ্ক কৰি দিয়াৰ প্ৰয়োজন আমি অনুভব কৰিছোঁ। বৃটিচক খেদি যেতিয়া আমি স্বদেশী কংগ্ৰেছী নেতাসকলক ৰাজ-পাটত বহুৱাইছিলোঁ, তেতিয়া আমি ভাবিছিলোঁ যে গান্ধীজীৰ সত্য আৰু প্ৰেমৰ মন্ত্ৰত দীক্ষিত এই লোকসকলৰ হাতত আমাৰ কল্যাণ সুচিন্তিত আৰু ভৱিষ্যত নিৰাপদ। কিন্তু কুৰি বছৰ পূৰ নৌহওঁতেই আমি পাব লগা হ'ল চৰম মোহ-ভংগৰ নিৰ্মম আঘাত। আজি আমি সকলোৱেই উপলব্ধি কৰিছোঁহক যে বৃটিছক খেদি আমি বিদেশী শোষকৰ ঠাইত অধিষ্ঠিত কৰিলোঁ কেৱল স্বদেশী শোষকক। ঠিক সেইদৰেই আজি কংগ্ৰেছক অপসাৰিত কৰি এতিয়াৰ, বিৰোধী দলসমূহক ক্ষমতাত অধিষ্ঠিত কৰিলেই আমাৰ দুখ-দুৰ্দশাৰ অন্ত নপৰিও পাৰে – যদিহে আমি কেতবোৰ বিষয়ে এতিয়াৰপৰাই সাৱধানতা অৱলম্বন নকৰোঁ। আমি এটা কথা সততে স্মৰণ ৰখা উচিত যে শাসক দল মানেই পিতল আৰু বিৰোধী দল মাত্ৰেই ৰাইছ কেৰেটৰ সোণ নহয়। এনে বহুতো লোক বিৰোধী দলতো থকা অসম্ভৱ নহয় – যিসকলে লোভত পৰিয়েই হওক বা অভাৱৰ তাড়নাতেই হওক ন্যস্ত স্বাৰ্থৰ লগত গোপনে আপোচ্ কৰিবলৈ বাধ্য হৈছে। এনে লোক সময়ত ৰাজনৈতিক ব্ৰেক-মেইলৰ চিকাৰত পৰিণত হয় আৰু তাৰ ফলত জনস্বাৰ্থৰ অপূৰণীয় ক্ষতি হয়। এনেবোৰ লোক আৰু লগতে সুবিধাবাদী কেৰিয়াৰিষ্ট পলিটিচিয়ান আৰু ন্যস্ত স্বাৰ্থৰ সম্ভাব্য ছদ্মবেশী এজেণ্টসকলৰ বিৰুদ্ধেও এতিয়াৰপৰাই ৰাইজ সাৱধান হোৱা উচিত। অসমৰ বিৰোধী দলৰ নেতাসকলৰ মাজতো এনে লোক একেবাৰে নোহোৱা নহয় বুলি জনৰৱ শুনা গৈছে। সেই কাৰণেহে এইখিনি কথা ক'ব লগা হ'ল।

দ্বিতীয়তে, নিৰ্দলীয় বুলি পৰিচিত লোকসকলেও প্ৰস্তাৱিত যুক্ত-ফ্ৰন্টত যোগ দিয়াৰ আগতে তেওঁলোকৰ ৰাজনৈতিক আদৰ্শ আৰু কাৰ্য্যসূচী বিশদভাৱে ব্যক্ত কৰা উচিত। দলভিত্তিত গণতন্ত্ৰত প্ৰকৃততে নিৰ্দলীয়ৰ কোনো স্থান নাই। বিলাতত বহু বছৰ ধৰি প্ৰকৃততে নিৰ্দলীয় প্ৰাৰ্থী জয়যুক্ত হ'ব পৰা নাই। ভাৰততো যাইকে জনসাধাৰণৰ নেতিবাচক সমৰ্থনৰ জোৰতহে ইমানদিনে নিৰ্দলীয় প্ৰাৰ্থী নিৰ্বাচিত হৈ আছিল। কিন্তু বিপ্লৱ বা পৰিবৰ্তনৰ প্ৰথম চৰ্তই হ'ল এটা সম্পূৰ্ণৰূপে ইতিবাচক সংকল্প। এনে এটা সময় আহিব ধৰিছে যি সময়ত ভাৰততো নিৰ্দলীয়ৰ কোনো স্থান নাথাকিব। গতিকে এতিয়াৰপৰাই তেওঁলোকে জনসাধাৰণৰ আগত তেওঁলোকৰ বক্তব্য আৰু কাৰ্য্যসূচী দাঙি ধৰা উচিত।

কংগ্ৰেছ দলৰ মাজত এনে বহুতো লোক নিশ্চয় আছে যিসকলে কংগ্ৰেছৰ আদৰ্শ বা কাৰ্য্যসূচীতকৈ এই দলৰ জনপ্ৰিয়তা আৰু শক্তিৰ দ্বাৰা প্ৰলুব্ধ হৈয়েই যোৱা নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থীত্ব গ্ৰহণ কৰিছিল। তেওঁলোকে যদি অসমত গণতন্ত্ৰৰ ভৱিষ্যৎ নিৰাপদ কৰিব খোজে আৰু শান্তিপূৰ্ণ উপায়েৰে সামাজিক পুনৰ্বিন্যাসৰ কাম ত্বৰান্বিত কৰিব খোজে তেন্তে এতিয়াই অৰ্থাৎ সময় থাকোঁতেই তেওঁলোকে কংগ্ৰেছ ত্যাগ কৰি প্ৰস্তাৱিত যুক্ত-ফ্ৰন্টক শক্তিশালী কৰি তোলা উচিত। তাকে নকৰি পাকিস্তানৰ 'বেচিক্ ডেম'ক্ৰেট্' সকলৰ দৰে চৰম মুহূৰ্তলৈ অপেক্ষা কৰি থাকিলে তেওঁলোক সুবিধাবাদী আৰু স্বাৰ্থপৰ বুলি প্ৰমাণিত হ'ব, আৰু ইতিহাসৰ নিৰ্মম বিচাৰ তেওঁলোকে মূৰ পাতি ল'ব লাগিব।

সহানুভূতিহীন কেন্দ্ৰীয় চৰকাৰ আৰু শক্তিহীন অসম চৰকাৰ

স্বাধীনতা লাভৰ দিন ধৰি আজি পৰ্য্যন্ত অসমে কোনো এটা বিষয়তে কেন্দ্ৰৰপৰা সুবিচাৰ পোৱা নাই। অসমৰ প্ৰতিটো ন্যায়-সঙ্গত দাবীকেই কেন্দ্ৰীয় চৰকাৰে বা কৰ্তৃপক্ষই যি ঔদ্ধত্য আৰু অৱহেলাৰে উপেক্ষা কৰি আহিছে তাৰপৰা ধাৰণা হয় যে অসমখন যেন ভাৰত যুক্তৰাষ্ট্ৰৰ সমান অংশীদাৰ আৰু সমান মৰ্য্যাদা-সম্পন্ন এখন পূৰ্ণাংগ ৰাজ্য নহয়; ই কেৱল কেন্দ্ৰৰ অধীন আৰু নিজৰ একো মাত নোহোৱা এখন কৰদ ৰাজ্য মাত্ৰ। অসমৰ উন্নতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে স্বতঃপ্ৰণোদিত হৈ আজি পৰ্য্যন্ত কোনো এটা কামেই কৰা নাই। যোৱা একৈশ বছৰৰ ভিতৰত এই ৰাজ্যত হোৱা দুটা মাত্ৰ উল্লেখযোগ্য কাম নুনমাটি পুতলা শোধনাগাৰ আৰু শৰাইঘাট দলং — দুয়োটাই সম্ভৱ হ'ল কেৱল এই ৰাজ্যৰ সমগ্ৰ জনসাধাৰণৰ অপ্ৰতিৰোধ্য আন্দোলনৰ জোৰতহে। তাৰ বাহিৰে কেন্দ্ৰীয় চৰকাৰে নিজে আগবাঢ়ি আহি এই ৰাজ্যৰ অতুলনীয় প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰ কৰি উদ্যোগ স্থাপন কৰা বা পৰিবহণ-ব্যৱস্থা উন্নত কৰি উদ্যোগীকৰণৰ পথ সুগম কৰা দূৰতে থাওক — অসমৰ চৰকাৰে বা অসমৰ ৰাইজে আগবঢ়োৱা প্ৰতিটো ন্যায়সঙ্গত দাবীকো এফালৰ পৰা এটা এটাকৈ অতি অপমানজনকভাৱে উপেক্ষাহে কৰি আহিছে। যোৱা একৈছ বছৰত ভাৰতৰ ৰেল পৰিবহণ ব্যৱস্থাৰ নানা পৰিবৰ্তন আৰু বিকাশ সাধন হ'ল। কিন্তু অসমত সামৰিক প্ৰয়োজনত ৰঙাপাৰাৰ পৰা মুৰকংচেলেকলৈকে হোৱা ৪৫০ কিলমিটাৰ ৰেলপথৰ বাহিৰে জনকল্যাণ বা অৰ্থনৈতিক বিকাশৰ দৃষ্টিভংগীৰে এক মিটাৰ ৰেলপথো আগ নাবাঢ়িল বা মান্ধাতাৰ আমোলত আজিৰ যুগত অচল ৰেল পৰিবহণ ব্যৱস্থাৰ বিন্দু মাত্ৰ পৰিবৰ্তন নঘটিল। যোৱা একৈছ বছৰ ধৰি অসমৰ ৰাইজে কাবৌ-কাকুতি কৰিও অসমলৈ ব্ৰডগজ ৰেল-পথ আনিব নোৱাৰিলে। ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয় এখন দলং দিয়াব নোৱাৰিলে, কাকতৰ কল এটা স্থাপন কৰাব নোৱাৰিলে, দামোদৰ বা ভাক্ৰাৰ সম-পৰ্য্যায়ৰ প্ৰকল্প দূৰতেই থাওক — কপিলী আৰু সোৱণশিৰীৰ ক্ষুদ্ৰকায় প্ৰকল্প এটাকে হাতত লোৱাব নোৱাৰিলে। আজি অসমত যেতিয়া দ্বিতীয় এটা শোধনাগাৰ স্থাপনৰ জোখাৰে যথেষ্ট পৰিমাণে খাৰুৱা তেল ওলাইছে, তেতিয়াও কেন্দ্ৰীয় চৰকাৰে অসমৰ জনসাধাৰণৰ দ্বিতীয় তেল শোধনাগাৰ স্থাপনৰ দাবীৰ উত্তৰ দিছে প্ৰচণ্ড এটা ধমকেৰে — 'অসমত দ্বিতীয় শোধনাগাৰ স্থাপন কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে।' যেন অসম মাতৃৰ বুকু বিদীৰ্ণ কৰি ওলোৱা খাৰুৱা তেলখিনিৰ ওপৰত অসমৰ ৰাইজৰ এষাৰো মাত নাই — য'ত আছে কেৱল দিল্লীত সৰ্বভাৰতীয় নেতাৰ ভাও লৈ বহি থকা কিন্তু প্ৰকৃতপক্ষে চূড়ান্ত আঞ্চলিকতাবাদী আৰু জাতীয় ঐক্যৰ সমাধি নিৰ্মাণ কৰিবলৈ ওলোৱা অদূৰদৰ্শী আৰু অসমদৰ্শী ভদ্ৰলোক কেইজনৰহে। আজি সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে অসমতকৈ বেছি অবহেলিত, অপমানিত আৰু অনুন্নত ৰাজ্য দ্বিতীয় এখন আছেনে?

তেল শোধনাগাৰ, ব্ৰহ্মপুত্ৰ ভেলী প্ৰজেক্ট, ব্ৰডগজ ৰেলৱে লাইন — এইবোৰ বাৰু অপেক্ষাকৃতভাৱে ব্যয়বহুল আৰু কাৰিকৰী সমস্যা কণ্টকিত প্ৰশ্ন; এইবোৰৰ সমাধান কৰোঁতে কিছু সময়ৰ প্ৰয়োজন হ'ব।

কিন্তু অসমৰ বাইজৰ দাবী আৰু অসম চৰকাৰৰ কাকুতি-মিনতিকো উপেক্ষা কৰি কেন্দ্ৰীয় চৰকাৰে যেতিয়া পি.এম.জি.ৰ কাৰ্য্যালয়লৈ স্থানান্তৰিত কৰে, তাৰ দ্বাৰা কি প্ৰমাণিত হয়? তাৰ দ্বাৰা এই কথাই প্ৰমাণিত নহয়নে যে এই ৰাজ্যত অবস্থিত সামান্য এটা কেন্দ্ৰীয় কাৰ্য্যালয় এই ৰাজ্যৰ জনসাধাৰণৰ পক্ষে সুবিধাজনক এখন ঠাইত স্থাপন কৰাবলৈকো ৰাজ্য চৰকাৰৰ তিল-মাত্ৰ ক্ষমতা নাই? অসম চৰকাৰে কেন্দ্ৰৰ ওচৰত কেৱল হাতযোৰ কৰি প্ৰাৰ্থনা কৰিব পাৰে, কিন্তু সেই প্ৰাৰ্থনা মঞ্জুৰ নহ'লে অভিমানী শিশুৰ দৰে মুখ ওফোন্দাই বহি থকাৰ বাহিৰে অসম চৰকাৰৰ কৰিবলৈ আন একো নাই?

কৰিবলৈ আৰু কিবা আছেনে নাই সেই প্ৰশ্নৰ উত্তৰ দিবলৈ সম্প্ৰতি অসম চৰকাৰৰ সন্মুখত এটা ভাস্বৰ সুযোগ উপস্থিত হৈছে। পূৰ্বোত্তৰ সীমান্ত ৰেলপথত ডিভিজন আঁচনি প্ৰবৰ্তিত হ'ব বুলি বহু দিনৰ পৰাই এটা বাতৰি প্ৰচাৰিত হৈ আছিল। অসমৰ বাতৰি কাকতসমূহৰ ভিতৰত খুব সম্ভৱ আমিয়েই সৰ্বপ্ৰথম ৰাইজক এই কথা জনাইছিলোঁ (১৯৬৮ চনৰ ১৮ ডিচেম্বৰৰ 'সাপ্তাহিক নীলাচল' দ্ৰষ্টব্য)। সেইমতেই অসম চৰকাৰে বিশেষ তৎপৰতা অবলম্বন কৰা হ'লে বা ৰাইজেও যথোচিত দৃঢ়তাৰে প্ৰতিবাদ কৰা হ'লে ৰেলৱে বোৰ্ডৰ এই ষড়যন্ত্ৰ হয়তো ব্যৰ্থ কৰিব পৰা হ'লহেঁতেন। কিন্তু আমি এতিয়া জানিব পাৰিছোঁ যে এই সম্পৰ্কত অসমৰ জনমতলৈ বৃদ্ধাঙ্গুষ্ঠ প্ৰদৰ্শন কৰি ৰেইলৱে বোৰ্ডে ডিভিজন আঁচনি প্ৰবৰ্তন কৰাৰ কামত পূৰ্ণোদ্যমেৰে আগবাঢ়িছে; অসমৰ অন্যান্য সকলো দাবী অৰণ্য-ৰোদনত পৰিণত হোৱাৰ দৰে এই দাবীৰো যে একেই পৰিণতি হ'ব সেই বিষয়ে কোনো সন্দেহ নাই। পাঠকসকলে শুনি আচৰিত হ'ব যে অসম চৰকাৰে এই আঁচনিৰ প্ৰতিবাদ কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা একাধিক টেলিগ্ৰামৰো কোনো উত্তৰ নাই। অথচ কেন্দ্ৰীয় চৰকাৰৰ সকলো পত্ৰালাপত বিহাৰ চৰকাৰৰ এনে ভাৱে উল্লেখ আছে যে বিহাৰৰ আপত্তি নহ'লেই যেন কেন্দ্ৰীয় চৰকাৰে আন কাৰো আপত্তিৰ কথা ভাবি মূৰ ঘমাবৰ প্ৰয়োজন নাই। কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক ইমানেই বেছি মূল্য দিয়ে।

কিন্তু আমি এটা কথা স্পষ্টভাৱে ঘোষণা কৰিব খোজো যে এইক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰে যদি অসমৰ দাবী উপেক্ষা কৰে বা ৰাজ্য চৰকাৰে অসমৰ জনসাধাৰণৰ প্ৰতি থকা দায়িত্ব পালন কৰিবলৈ অসমৰ্থ হয় তেন্তে পৰিণাম নিশ্চয় খুব বেয়া হ'ব। অসমত কৃষিযোগ্য মাটি নোহোৱা হৈ অহাৰ ফলত আৰু চৰকাৰী-বেচৰকাৰী উভয় খণ্ডতেই নতুন উদ্যোগ স্থাপন নোহোৱাৰ ফলত অসমৰ বেছিভাগ নিবনুৱা ডেকাৰ সদ্যহতে চৰকাৰী চকৰিৰ বাহিৰে গত্যন্তৰ নাই। আনহাতে প্ৰস্তাৱিত আকাৰৰ আঁচনি ৰেলৱেৰ চাকৰিৰ ক্ষেত্ৰত অসমৰ ডেকাক বঞ্চিত কৰাৰ এটা অকৰ্ষণীয় চক্ৰান্তৰ বাহিৰে আন একো নহয়। এনে অৱস্থাত অসমৰ জনসাধাৰণে যদি ৰেলোৱে ডিভিজন আঁচনি প্ৰবৰ্তন কৰাৰ চক্ৰান্তক বাধা দিব নোৱাৰে, তেন্তে অসমবাসীৰ এই ব্যৰ্থতা আৰু পৰাজয় আত্ম-হত্যাৰেই নামান্তৰ মাত্ৰ হ'ব।

কিন্তু প্ৰশ্ন হৈছে — অসম চৰকাৰ বা জনসাধাৰণে এই চক্ৰান্ত ব্যৰ্থ কৰিব কেনেকৈ? যোৱা একৈশ বছৰৰ ইতিহাসে আমাক দেখুৱাইছে যে অনুনয়-বিনয় কৰি বা কেন্দ্ৰীয় চৰকাৰলৈ তাঁৰ-বাৰ্তা পঠিয়াই বা অসমৰ মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত আলোচনা-বিলোচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ এনেবোৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰিব নোৱাৰে। পৰা হ'লে পি-এম-জিৰ কাৰ্য্যালয় চিলঙলৈ নগ'লহেঁতেন, অসমৰ খাৰুৱা তেলে অসমৰ ৰাইজক টেংটেঙাচত পৰিণত নকৰিলেহেঁতেন, আনকি আমাৰ উদ্যোগ মন্ত্ৰী শ্ৰীবিমলা শৰ্মায়ো 'গছত কঁঠাল ওঁঠত তেল, নৌ খাওঁতেই চেল-বেল' হোৱাৰ দৰে সপোনত দেখা পেট্ৰ-কেমিকেল কমপ্লেক্সৰ মৰীচিকা দেখুৱাই অসমৰ ৰাইজক আভুৱা ভাবিব নোৱাৰিলেহেঁতেন। গতিকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত

কাকুতি-মিনতি বা আলাপ-আলোচনাৰ বাহিৰে নিজৰ ন্যায্য দাবী পূৰণৰ কাৰণে আন কি বিকল্প উপায় আছে, সেই কথা অসমৰ ৰাইজে ভালকৈ ভাবি চাবৰ সময় হ'ল।

পশ্চিমবঙ্গৰ নব-গঠিত যুক্ত-ফ্ৰণ্ট চৰকাৰে অলপতে ঘোষণা কৰিছে যে কেন্দ্ৰই সেই ৰাজ্যক যথেষ্ট পৰিমাণে চাউল আৰু চেনি নিদিলে তেওঁলোকে সেই ৰাজ্যৰপৰা চাহ আৰু মৰাপাট বাহিৰলৈ যাবলৈ নিদিয়ে। অসম চৰকাৰেও ঘোষণা কৰক যে অসমত অতি সোনকালে দ্বিতীয় শোধনাগাৰ স্থাপন নকৰিলে এই ৰাজ্যৰপৰা খাৰুৱা তেল বাহিৰলৈ যাবলৈ দিয়া নহ'ব, বা ডিভিজন আঁচনি অসমৰ স্বাৰ্থৰ অনুকূলে সংশোধন নকৰিলে বিশেষ প্ৰতিশোধমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ভাৰতৰ ৰাজনীতি আৰু প্ৰশাসনী-ব্যৱস্থাই সম্প্ৰতি এনে এটা ৰূপ লৈছে যে ইয়াত 'জোৰ যাৰ মুলুক তাৰ' নীতি প্ৰযুক্ত হবৰ অৱস্থাৰ উপক্ৰম হৈছে। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ সম্পৰ্কত অতি সোনকালে সলনি হ'বলৈ বাধ্য হ'ব। এনে অৱস্থাত যিবোৰ ৰাজ্যৰ চৰকাৰ দুৰ্বল আৰু প্ৰত্যেকটো বিষয়তে কেন্দ্ৰৰ মুখাপেক্ষী, সেইবোৰ ৰাজ্যৰ জনসাধাৰণ প্ৰভূত পৰিমাণে ক্ষতিগ্ৰস্ত হ'ব। আমাৰ মনত লাহে লাহে এই ধাৰণা বদ্ধমূল হৈ আহিছে যে সকলো ক্ষেত্ৰতে অসম অনুন্নত আৰু অৱহেলিত হৈ থকাৰ ঘাই কাৰণ হ'ল অসমৰ দুৰ্বল ৰাজনৈতিক নেতৃত্ব। সম্প্ৰতি দেখা গৈছে যে যিবোৰ ৰাজ্যতেই অকংগ্ৰেছী চৰকাৰ প্ৰতিষ্ঠিত হৈছে, সেইবোৰ ৰাজ্যতেই কেন্দ্ৰৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে ৰাজ্য-চৰকাৰে গণ-আন্দোলনৰ নেতৃত্ব লৈছে। আমাৰ মাজত এনে বহুতো লোক আছে — যিসকলে অসমত এবৈশ বছৰীয়া কংগ্ৰেছী শাসনৰ সুস্থিৰতাৰ গুণ বখানিয়েই তৎ নাপায়। কিন্তু যি প্ৰশাসনীয় সুস্থিৰতাই সমাজত নৱ-জীৱনৰ সূচনা কৰিব নোৱাৰে, অৰ্থনৈতিক স্থবিৰতাৰ অৱসান ঘটাব নোৱাৰে, মানুহক প্ৰগতিৰ পথত আগবঢ়াই নিব নোৱাৰে — সেই সুস্থিৰতাৰ মূল্য কি? সেই সুস্থিৰতা বা পৰিবৰ্তন-হীনতা মৃত্যুৰেই নামান্তৰ মাত্ৰ। দ্বিতীয়তে — কংগ্ৰেছী শাসন যে অসমত দীৰ্ঘ-দিন ধৰি সুস্থিৰ হৈ আছে - - তাৰ কাৰণ এই নহয় যে কংগ্ৰেছ দলে কিবা অভাৱনীয় সাফল্য বা যোগ্যতা দেখুৱাবলৈ সমৰ্থ হৈছে; খুব সম্ভৱ তাৰ একমাত্ৰ কাৰণ অসমৰ জনসাধাৰণৰ প্ৰখৰ ৰাজনৈতিক চেতনা আৰু উন্নততৰ জীৱনৰ প্ৰতি ব্যাকুলতাৰ অভাৱহে। কিন্তু দীৰ্ঘ দিনৰ ৰুদ্ধ-শ্বাস অৱস্থাৰ অন্তত আজি ভাৰতবৰ্ষত পৰিৱৰ্তনৰ বতাহ বলিবলৈ আৰম্ভ কৰিছে, সেই বতাহে অসমকো কোবাই গৈছে। আজি আৰু অসমৰ ৰাইজ মিছা প্ৰলোভনত ভোল গৈ অনিশ্চিত ভৱিষ্যতৰ কাৰণে অপেক্ষা কৰি থাকিবলৈ ৰাজী নহয়। সেই কাৰণে আমি ক'ব খুজিছোঁ যে দ্বিতীয় তেল শোধনাগাৰ আৰু ৰেলৱে ডিভিজন আঁচনি সংশোধনৰ দাবীত অসমৰ জনসাধাৰণে এটা প্ৰচণ্ড আন্দোলন আৰম্ভ কৰক আৰু এই আন্দোলনৰ নেতৃত্ব দিয়ক অসম চৰকাৰে। কেৰালা বা পশ্চিম বঙ্গৰ যুক্ত-ফ্ৰণ্ট চৰকাৰে যদি সেই সেই ৰাজ্যৰ গণ-আন্দোলনৰ নেতৃত্ব দিব পাৰে তেন্তে অসম চৰকাৰে দিব নোৱৰাৰ কোনো মানেই নাই। যদি অসম চৰকাৰে তাকে কৰিবলৈ আগবাঢ়ি নাহে, তেন্তে অসমৰ জনসাধাৰণে নিশ্চয় এই সিদ্ধান্তকেই কৰিবলৈ বাধ্য হ'ব যে অসমৰ প্ৰতিটো ন্যায্য দাবী কেন্দ্ৰৰ দ্বাৰা অপমানজনকভাৱে উপেক্ষিত হোৱাৰ একমাত্ৰ কাৰণ হ'ল অসমৰ কংগ্ৰেছ চৰকাৰ।

বিধান সভাৰ চলিত অধিবেশন

বাইজৰ দাবী (৩)

- ক -

কেইবছৰ মানৰ আগতে ৰাছিয়াই স্পুটনিক নিক্ষেপ কৰি মহাকাশ অভিযানত নিজৰ অবিসম্বাদী শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিলে, তেতিয়া বিস্ময়াভিভূত আৰু ঈৰ্ষা-জৰ্জৰিত আমেৰিকা যুক্তৰাষ্ট্ৰত সকলোৰে মুখে মুখে একেটাই প্ৰশ্ন হ'ল ঃ 'অৰ্থ-বল, জন-বল আৰু কাৰিকৰী জ্ঞান এই সকলো ক্ষেত্ৰতে ৰাছিয়াতকৈ আগবাঢ়ি থাকিও এই ঐতিহাসিক মহাকাশ অভিযানত আমি কিয় পিছ পৰি ৰ'লো? আমাতকৈ সকলো ক্ষেত্ৰতে পিছ পৰি থাকিও ৰাছিয়াই কিহৰ বলেৰে এই অসাধ্য সাধন কৰিলে আৰু মহাকাশত সৰ্বপ্ৰথম পদাৰ্পণ কৰাৰ চিৰস্মৰণীয় গৌৰৱ অৰ্জন কৰিলে?'

পৰাজয় আৰু গ্লানিৰ এই যন্ত্ৰণা-ময় মুহূৰ্তত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিন্তানায়কসকল কঠোৰ আত্ম-সমীক্ষাত মগ্ন হ'ল আৰু লগে লগে তেওঁলোকে আবিষ্কাৰ কৰিলে তেওঁলোকৰ জাতীয় ব্যৰ্থতাৰ মাই কাৰণ জাতীয় প্ৰচেষ্টাৰ দুৰ্বলতম অংশটো। মহাকাশ-যুগৰ উপযোগী বৈজ্ঞানিক গৱেষণা আৰু কাৰিকৰী উদ্ভাৱনাত আমেৰিকা কিয় পিছ পৰি ৰৈছে – তাৰ কাৰণ নিৰ্ণয় কৰিবলৈ গৈ সৰ্বপ্ৰথমে তেওঁলোকৰ চকু গ'ল আমেৰিকাৰ স্কুলসমূহলৈ। অৰ্থাৎ মহাকাশ বিজয় অভিযানত আমেৰিকা যুক্তৰাষ্ট্ৰ ৰাছিয়াৰ ওচৰত হাৰি যোৱাৰ কাৰণে দায়ী সেই দেশৰ বৈজ্ঞানিকসকল নহয়, ৰাষ্ট্ৰনেতাসকল নহয়, কাৰিকৰী বৈজ্ঞানিকসকল নহয়, দায়ী হ'ল আমেৰিকা যুক্ত-ৰাষ্ট্ৰৰ স্কুলসমূহ তাৰ শিক্ষাদান ব্যৱস্থা। কোৱা বাহুল্য মাথোন যে ইয়াৰ পাছত স্কুলসমূহৰ সংস্কাৰ আৰু উন্নতি সাধনেই হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মুখত সৰ্বপ্ৰধান জাতীয় কৰ্তব্য আৰু দায়িত্ব।

আমেৰিকাৰ স্কুলীয়া শিক্ষা-ব্যৱস্থা পুংখানুপুংখভাবে পৰীক্ষা কৰি চোৱাত বিকেইটা প্ৰধান দুৰ্বলতা বা ত্ৰুটী ধৰা পৰিছিল তাৰে কেইটামান হ'ল ঃ– (১) স্কুলবোৰত বিমান শিক্ষক আৰু ঠাই, তাতোকৈ ছাত্ৰৰ সংখ্যা বহুত বেছি, (২) বেছিভাগ শিক্ষকৰ দৰমহা প্ৰয়োজনতকৈ অতিশয় কম, (৩) প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীক বিকাশৰ সুবিধা দিবলৈ কোনো ব্যৱস্থা নাই; আনহাতে বুদ্ধিমান ছাত্ৰবোৰতকৈ নিৰ্বোধ ছাত্ৰবোৰেহে অধিক সা-সুবিধা ভোগ কৰে, (৪) স্কুলবোৰত কি শিকোৱা উচিত সেই বিষয়ে কোনো সৰ্বসন্মত নীতি নাই। ল'ৰা-ছোৱালীক কি শিকাব লাগিব চিন্তা-ভাবনা কৰিয়েই পঁচিশ বছৰ কাল নষ্ট কৰা হ'ল, (৫) আটাইতকৈ বেছি ডাঙৰ কথা শিক্ষাৰ মান অতিশয় নিম্ন থাপৰ।

আমেৰিকাৰ নাম উল্লেখ নকৰি ওপৰৰ কথাখিনি যদি এনেয়েই কোৱা হয় তেতিয়া হ'লে মানুহে ভাবিলেহেঁতেন যে এই কথাখিনি ভাৰতৰ বা অসমৰ শিক্ষা ব্যৱস্থাৰ বিষয়েহে কোৱা হৈছে। কিন্তু যুক্ত-ৰাষ্ট্ৰৰ দৰে পৃথিৱীৰ ভিতৰত আটাইতকৈ ধনী ৰাষ্ট্ৰ এখনৰ শিক্ষা-ব্যৱস্থাৰে যদি এই অৱস্থা তেন্তে ভাৰতৰ বা অসমৰ কি হ'ব এই কথা কোনোৱাই ভাবিব পাৰেনে?

অসমৰ শিক্ষা-ব্যৱস্থাৰ কথা ক'বলৈ গৈ আমেৰিকাৰ প্ৰসঙ্গ টানি আনি ইমান দীঘলীয়া ভূমিকা অৱতাৰণা কৰাৰ এটা কাৰণ আছে। মহাকাশ অভিযানৰ ক্ষেত্ৰত আমেৰিকা দুখোজ পিচ পৰি ৰোৱাৰ কাৰণেই তেওঁলোকে কঠোৰভাৱে আত্ম-সমালোচনা কৰি আৱিষ্কাৰ কৰিলে যে আমেৰিকা পিচ পৰি ৰোৱাৰ কাৰণে স্কুলবোৰেই প্ৰধানতঃ দায়ী; কাৰণ তেওঁলোকে ভালকৈ জানে যে এটা জাতিৰ আত্মা নিৰ্মিত হয় স্কুলবোৰত। কিন্তু আমি জীৱনৰ সকলো ক্ষেত্ৰতে মূৰ দাঙিব নোৱৰাকৈ তল পৰি থকা সত্ত্বেও এবাৰো গভীৰভাৱে চিন্তা কৰি চাইছোনে যে আমাৰ স্কুলবোৰত ক'ৰবাত হয়তো কিবা এটা কেনা লাগি আছে? এটা জাতিৰ গঠন আৰু বিকাশৰ প্ৰচেষ্টাত যিমানখিনি মূল্য আৰু গুৰুত্ব দিয়া উচিত সিমানখিনি আমি দিছোনে?

এই প্ৰশ্নৰ এটাই মাত্ৰ উত্তৰ আছে : সেইটো হৈছে 'নাই দিয়াতো'। এই ক্ষেত্ৰত কিন্তু কেৱল চৰকাৰৰ গাতে সকলো দোষ জাপি দি নিশ্চিন্ত মনে বহি থাকিবলৈ কাবো উপায় নাই। অসমৰ শিক্ষা-ব্যৱস্থাত চৰম দুৰ্নীতি, অৰাজকতা আৰু নিষ্ক্ৰিয়তাৰ কাৰণে এই ৰাজ্যৰ অপৰিণাম-দৰ্শী আৰু এণ্টিইণ্টেলেকচুৱেল চৰকাৰ পূৰামাত্ৰেই দায়ী হয়েই, তাতোকৈ কিন্তু বহু গুণে বেছি দায়ী বিৰোধী পক্ষৰ সদস্যসকল আৰু অসমৰ বুদ্ধিজীৱী শিক্ষিত সম্প্ৰদায়। সকলো কাম-কাজ আৰু চিন্তা-ভাৱনা চৰকাৰে কৰিব, আমি কেৱল বহি বহি আপত্তি আৰু অভিযোগ কৰিম — এনে ধৰণৰ ৰাজহুৱা মনোবৃত্তিয়ে চৰকাৰক পেটানেলিষ্টিক্ বা অভিভাৱক-মনোভাৱপন্ন কৰি তোলে; কোনো মৰ্য্যাদাসম্পন্ন মানুহেই এনে এটা চৰকাৰ নিশ্চয় বাঞ্ছা নকৰে। স্কুলবোৰত বা চৰকাৰী শিক্ষা বিভাগত কি ঘটিছে সেই সম্পৰ্কে কেৱল যে চৰকাৰেই উদাসীন এনে নহয়; আমাৰ সমাজেও সেই সম্পৰ্কে কোনো খা-খবৰ ৰখাৰ প্ৰয়োজন অনুভৱ নকৰে। বিধান সভাত বিৰোধী পক্ষৰ সদস্যসকলৰ সমালোচনাও মঞ্জুৰী-বিৰতণ বা পদোন্নতি সংক্ৰান্ত দুই এটা দোষ-ত্ৰুটী বিক্ষিপ্তভাৱে আঙুলিয়াই দিয়াতেই সীমাবদ্ধ; বছৰৰ পাচত বছৰ ধৰি তেওঁলোকৰ বক্তৃতাত সমস্যাটোৰ কোনো সামগ্ৰিক বিচাৰ-বিশ্লেষণ বা গভীৰ অধ্যয়নৰ পৰিচয় ফুটি উঠা আমাৰ চকুত পৰা নাই। মুঠতে শিক্ষাই হ'ল আমাৰ ৰাজ্যৰ আটাইতকৈ অবহেলিত বিষয়, আৰু সিয়েই প্ৰমাণ কৰে যে আমি ইমান দিনে কেৱল বালিৰ ওপৰতে ঘৰ সাজি বহি আছো।

একে আষাৰে ক'বলৈ গ'লে সম্প্ৰতি অসমৰ শিক্ষা জগতত এটা বিৰাট অৰাজকতা চলিছে। প্ৰাথমিক স্তৰত শিক্ষাৰ খাই সমস্যা হ'ল ছাত্ৰৰ অনুপাতে শিক্ষকৰ সংখ্যা এপাচি শাকত এটা জালুকৰ নিচিনা। যিটো ঘৰত বহি এই কথাখিনি লিখিছো ঠিক তাৰ সন্মুখত এখন নিম্ন প্ৰাইমাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এশ বিশ আৰু শিক্ষক হ'ল মাত্ৰ দুজন। মাত্ৰ দুজন শিক্ষকে এশ বিশটা দুৰন্ত শিশুক শিক্ষা দান কৰিবলৈ হ'লে কি ধৰণৰ শিক্ষা দিয়া সম্ভৱ হ'ব— সেই কথা কোনোবাই কল্পনা কৰিবলৈকো চেষ্টা কৰিছেনে? অথচ সমগ্ৰ ৰাজ্যত কম-বেছি পৰিমাণে এই একেই অৱস্থা। দ্বিতীয়তে দেশৰ চাৰিওফালৰপৰা অবিৰামভাৱে এই অভিযোগ উঠিছে যে শিক্ষা বিভাগৰ নিম্ন স্তৰত পৰিদৰ্শন আৰু প্ৰশাসনীয় কাৰ্য্যালয়বোৰত শিক্ষকৰ পদবোৰ কিনা-বেচা কৰাৰ দোকানত পৰিণত হৈছে আৰু প্ৰাথমিক স্কুলৰ শিক্ষকৰ একমাত্ৰ যোগ্যতা হৈ পৰিছে প্ৰাৰ্থীৰ পদবোৰ কিনি ল'বৰ আৰ্থিক সামৰ্থ্য। মুঠতে দেশৰ লাখ লাখ ল'ৰা-ছোৱালীৰ ভাগ্য আৰু ভৱিষ্যত সপি দিয়া হৈছে মুষ্টিমেয় কেইজনমান স্বাৰ্থান্ধ আৰু দুৰ্নীতিপৰায়ণ বিষয়াৰ ইচ্ছা-অভিৰুচিৰ ওপৰত। তৃতীয়তে, এই স্কুলবোৰত বিবিলাক পাঠ্যপুথি প্ৰচলন কৰা হৈছে সেই পাঠ্যপুথিবোৰ দেশৰ ভৱিষ্যত ধৰণীস্বৰূপ ল'ৰা-ছোৱালীবোৰৰ বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশৰ উপযোগী নহৈ হৈ পৰিছে

শিক্ষা বিভাগৰ কিছুমান অৰ্থ-গৃধ্নু বিষয়া আৰু পাঠ্যপুথিৰ ব্যৱসায়ীৰ অৰ্থোপাৰ্জনৰ একোটা উপায় মাত্ৰ। মুঠতে দেশৰ হাজাৰ হাজাৰ প্ৰাইমাৰী স্কুলবিলাকত আচলতে কি ঘটিব ধৰিছে দেশৰ মানুহে তাৰ খবৰ কৰা নাই। খবৰ ল'লে তেওঁলোকে জানিব পাৰিব যে সেই স্কুলবোৰত দেশৰ ভৱিষ্যতৰ সমাধি প্ৰস্তুত কৰা হৈছে।

এনে অৱস্থাত এই কথা শুনি আচৰিত হ'বলগীয়া একো নাই যে ৰাজ্যখনৰ মন্ত্ৰী, এম-এল-এ, বিষয়া আৰু চহৰ আৰু গাঁৱৰ নতুনকৈ ধনী হোৱা কোনো মানুহৰ ল'ৰা-ছোৱালীয়ে এইবোৰ চৰকাৰী প্ৰাইমাৰী স্কুলত নপঢ়ে; সেইবোৰ ল'ৰা-ছোৱালীক পঠোৱা হয় ব্যয়সাপেক্ষ মণ্টেছৰী স্কুল, পাব্লিক স্কুল আৰু কনভেণ্টলৈ। অসমৰ কেইজন মন্ত্ৰী, এম-এল-এ, চৰকাৰী বিষয়া আৰু বিত্তবান মানুহৰ ল'ৰাই চৰকাৰী প্ৰাইমাৰী স্কুলত পঢ়ে। চৰকাৰে এই বিষয়ে এটা পিয়ল কৰি তাৰ ফলাফল ৰাইজক জনাবনে? ৰাজ্যখনৰ ধ্বংসপ্ৰাপ্ত প্ৰাথমিক শিক্ষা-ব্যৱস্থাৰ প্ৰতি মন্ত্ৰী, বিষয়া আৰু ৰাজহুৱা নেতা সকলোৰে এই অবিশ্বাস্য আৰু উদাসীনতাৰ কাৰণ— তেতিয়াহে হয়তো এই কথা কিছু বুজিব পৰা হ'ব।

বিধান সভাৰ চলিত অধিৱেশন

বাইজৰ দাবী (৩)

- খ -

অসমৰ শিক্ষা বিভাগৰ এজন সৰ্বোচ্চ-পদস্থ বিষয়াই এদিন কথা-প্ৰসংগত আমাক কৈছিল : '১৯৫০ চনৰ বৰ ভূঁইকঁপৰ পিচৰেপৰা দুই ধৰণৰ দুটা বানপানীয়ে অসমক লগ নেৰা হৈছে। তাৰে এটা হ'ল প্ৰাকৃতিক বানপানী বা ব্ৰহ্মপুত্ৰৰ বানপানী, আনটো হ'ল শিক্ষা-বিস্তাৰ বা নতুন নতুন স্কুল-কলেজ স্থাপনৰ বানপানী। নতুন ধৰণৰ এই দুয়োটা বানপানীৰ ভিতৰত এটা বিষয়ত বৰ ডাঙৰ মিল আছে। আগতে বানপানী আহিলে মানুহে আনন্দ পাইছিল, কাৰণ বানপানীয়ে সকলো আবৰ্জনা ধুই লৈ যোৱাৰ উপৰিও পথাৰত পলস পেলাই থৈ গৈছিল আৰু সেই পলসে পথাৰক কৰি তুলিছিল শস্যৰে নদন-বদন। আজিকালি বানপানী আহিলে মানুহ কেৱল আতংকিত হয় কাৰণ এই বানপানীয়ে কেৱল ধ্বংসহে কৰে, নতুন সৃষ্টিত অকণো সহায় নকৰে। শিক্ষা বানপানীৰ ক্ষেত্ৰতো সেই একেই কথা। আগতে এই ক্ষেত্ৰত যি চুৰ্চুৰীয়া বানপানী আহিছিল, সি মানুহৰ মনৰ মাটিত পেলাই থৈ গৈছিল কিছু পলস, ৰাখি গৈছিল নতুন সৃষ্টিৰ সম্ভাৱনা। কিন্তু যোৱা দুটা দশক জুৰি অসমত শিক্ষা বিস্তাৰৰ যি বানপানী আহিছে, সি একপ্ৰকাৰে ক'বলৈ গ'লে সমাজত প্ৰলয়-কাণ্ডহে সৃষ্টি কৰিছে। এই বানপানী আৰু তাৰ আনুষংগিক গৰাখহনীয়াই এফালৰপৰা ধ্বংস কৰি নিব ধৰিছে আমাৰ যুগ-যুগ ধৰি সঞ্চিত প্ৰাচীন ঐতিহ্যৰ ভাণ্ডাৰ, শিক্ষাৰ মহত্তম আদৰ্শ আৰু জীৱনৰ পবিত্ৰ মূল্য-বোধসমূহ।'

এইখিনিলৈকে কৈ বিষয়াজনে এটা অৰ্থপূৰ্ণ হাঁহি মাৰিলে, তাৰ পিচত ক্ষন্তেক সময় ৰৈ তেওঁ আকৌ ক'লে – 'অৱশ্যে এই দুয়োবিধৰ বানপানীয়ে কাৰো একো উপকাৰ কৰা নাই সেই কথা ক'ব নোৱাৰি। প্ৰাকৃতিক বানপানী নিয়ন্ত্ৰণৰ নামত শ - শ মথাউৰি নিৰ্মাণ কৰিবলৈ লোৱাৰ ফলত জনসাধাৰণ উপকৃত নহ'লেও ই-এণ্ড-ডি বিভাগ আৰু কিছুসংখ্যক ঠিকাদাৰ যেনেকৈ লাখ-পতি হ'বলৈ সুবিধা হ'ল ঠিক তেনেকৈ নতুন স্কুল-কলেজৰ ঘৰ নিৰ্মাণ কৰিব লগা হোৱাৰ ফলত শিক্ষা বিভাগ আৰু কিছুমান ঠিকাদাৰ নিশ্চয় ধনী হৈছে।'

ওপৰৰ এই দীঘলীয়া উদ্ধৃতিটোৱে প্ৰমাণ কৰে যে শিক্ষা বিভাগৰ পৰিচালনাৰ ভাৰ বহন কৰা লোকসকল এই বিভাগৰ সাম্প্ৰতিক দুৰৱস্থা সম্পৰ্কে একেবাৰে অজ্ঞ বা অচেতন নহয়। তেওঁলোকেও ভালকৈয়ে জানে যে শিক্ষা বিভাগত মাৰাত্মক কেৰোণে প্ৰৱেশ কৰিছে, আৰু তাৰ ফলত অসমৰ শিক্ষা-ব্যৱস্থা দ্ৰুতগতিৰে ধ্বংসৰ পথলৈ আগবাঢ়িছে। কিন্তু প্ৰশ্ন হৈছে – তেওঁলোকে যদি এই কথা জানেই, তাৰ প্ৰতিকাৰৰ ব্যৱস্থা নকৰে কিয়? অথবা এনে কোনো কাৰণ থাকিব পাৰে নেকি – যাৰ ফলত শিক্ষা বিভাগটো নিকা আৰু নিৰোগী হৈ থাকিব পাৰে? যিসকলৰ ইচ্ছা থাকিলেও ক্ষমতা নাই – আৰু যিসকলৰ হাতত ক্ষমতা আছে, তেওঁলোকৰ এই কাম কৰিবলৈ ইচ্ছা নাই, যোগ্যতা নাই, সময় নাই?'

এই কথা আংশিকভাৱে সত্য যে যোৱা কুৰি বছৰে কিছুমান আদৰ্শহীন অবিবেচক আৰু স্বাৰ্থপৰ ৰাজনৈতিক নেতাৰ হাতত পৰি শিক্ষা বিভাগটোৱে এনে এটা ৰূপ লৈছেগৈ যে কেৱল বিষয়াসকলৰ পক্ষে তাক মেৰামতি কৰি পুনৰ সচল কৰি তোলা সম্ভৱ নহয়। এই নেতাসকলৰ ডাঙৰ ভুল হ'ল সস্তীয়া জনপ্ৰিয়তাৰ মোহত চুবুৰীয়ে চুবুৰীয়ে কাঠফুলাৰ দৰে স্কুল-কলেজ গঢ়িবলৈ দিয়াটো। উপযুক্ত সম্বল আৰু শিক্ষক নোহোৱা এই স্কুলবোৰে শিক্ষা-দানৰ নামত দিছে কেৱল বৰ্ণ-পৰিচয় দান, শিক্ষিতৰ নামত সৃষ্টি কৰি তুলিছে কিছুমান লক্ষ্যহীন শাৰীৰিক আৰু মানসিক সকলো কামৰ কাৰণে অনুপযুক্ত কিম্ভূত-কিমাকাৰ জীৱ। এই নেতাসকলৰ দ্বিতীয় ডাঙৰ পাপ হ'ল অসমৰ স্কুলবোৰ ৰাজনীতিৰ কৰ্ণ-ধাৰী হ'বলৈ আৰু কিছুমান কম বুদ্ধি — অশিক্ষিত — স্বাৰ্থান্ধ ৰাজনীতি-জীৱীৰ জীৱিকা উপাৰ্জন আৰু ক্ষমতা বিস্তাৰৰ উপায় মাত্ৰ হ'বলৈ এৰি দিয়াটো। কিন্তু মাত্ৰ দ্বিধা-সংকোচ নোহোৱাকৈ আমি এই কথা ঘোষণা কৰিব পাৰো যে অসমৰ সকলো স্কুল-কলেজৰ পৰিচালনা সমিতিবোৰ ৰাজনীতিৰ প্ৰভাৱ-মুক্ত নকৰালৈকে আৰু ডি-পি-আইৰ পৰা আৰম্ভ কৰি এছ-আই লৈকে সকলো বিষয়া স্বয়ম্ভু ৰাজনীতিক নেতাৰ আজ্ঞাবহ ভৃত্য মাত্ৰ হোৱাৰ দুৰৱস্থাৰপৰা উদ্ধাৰ নকৰালৈকে শিক্ষা বিভাগৰ কোনো সংস্কাৰ সাধন আৰু উন্নতি সম্ভৱ নহয়। ৰাজনীতিয়ে আজি শিক্ষা বিভাগক অজগৰৰ দৰে মেৰিয়াই ধৰিছে। এলিমেণ্টেৰী এডুকেচন্ বোৰ্ডবোৰ সৃষ্টি কৰা হৈছে কেৱল নিৰ্বাচনত বিফল হোৱা বা আন প্ৰকাৰে নিৰুপায় কেতবোৰ লোকৰ সংস্থানৰ কাৰণেহে। ৰাজনৈতিক স্বাৰ্থত দেশৰ তথাকথিত নেতাসকলে ল'ৰা-ছোৱালীৰ ভৱিষ্যত ধ্বংস কৰিবলৈকো কিমানদূৰ আগবাঢ়িব পাৰে তাৰ এটা জ্বলন্ত প্ৰমাণ হ'ল কিছুদিন আগতে কটন কলেজৰ গণিত বিভাগত এজন অযোগ্য লোকৰ শিক্ষক হিচাবে নিযুক্তি। যিটো বিষয়ে বিশদ বিৱৰণ এই কাকততে ইতিমধ্যে ওলাই গৈছে (৩ নৱেম্বৰ - ১৯৬৮ চন) এতিয়া আমি জনৰৱ শুনিবলৈ পাইছোঁ যে অসম চৰকাৰে এই [illegible] নিজৰ ভুলটোতো স্বীকাৰ কৰিব নোখোজেই বৰং ৰাজনৈতিক জেদত অন্ধ হৈ তেওঁলোকে এই অযোগ্য লোকজনকে ছলে-বলে-কৌশলে শিক্ষক-পদত ৰাখিবলৈহে চেষ্টা কৰিছে। চৰকাৰৰ উদ্দেশ্য কি আৰু আদৰ্শ কি, এই কথা এতিয়া ৰাইজেই বিচাৰ কৰক।

মাত্ৰ এটা দুটা সম্পাদকীয় প্ৰবন্ধত অসমৰ শিক্ষা বিভাগৰ সকলোবোৰ সমস্যা শেষ কৰা সম্ভৱ নহয়। এই বিষয়ে ৰাজহুৱা আলোচনাৰ সূত্ৰপাত কৰিবলৈহে আমি দুই এটা কথা প্ৰসংগক্ৰমে উল্লেখ কৰিলোঁ। আমি পুনৰ দোহাৰিব খোজোঁ যে অসমৰ স্কুল-কলেজ-বিশ্ববিদ্যালয়বোৰত সম্প্ৰতি অসমৰ ভৱিষ্যতৰ 'সমাধি' প্ৰস্তুত কৰা হৈছে। ৰাইজে এই বিষয়ে ব্যাপক ভিত্তিত গঠনমূলক আলোচনা কৰি চৰকাৰক শুদ্ধ পথলৈ আহিবলৈ বাধ্য কৰক। জনসাধাৰণ যেতিয়া উদাসীন আৰু চিন্তাবিমুখ হয়, তেতিয়াই চৰকাৰ দুৰ্নীতিপৰায়ণ আৰু কৰ্মবিমুখ হৈ পৰিছে। চৰকাৰৰ সংশোধন কৰাৰ প্ৰথম আৰু প্ৰধান চৰ্ত হ'ল জনসাধাৰণৰ চিৰ-জাগ্ৰত সতৰ্কতা আৰু সচেতনতা।

সাপ্তাহিক নীলাচল, ২৭শ সংখ্যা ঃ ২ এপ্রিল, ১৯৬৯ চন

পাকিস্তানত বিপ্লৱ কেতিয়া হ'ব?

বহুতেই আশা কৰিছিল যে পাকিস্তানত বোধহয় স্বৈৰাচাৰী শাসনৰ দীঘল নিশাৰ অৱসান ঘটিছে। নতুন জীৱনৰ ৰক্ত-বৰ্ণ, উষা-লগ্ন তাত সমাগত। কিন্তু এতিয়া দেখা গৈছে যে এদিন দ্বাপৰ যুগত শ্ৰীকৃষ্ণই সুদৰ্শন চক্ৰৰে সূৰ্য্যক ঢাকি কৃত্ৰিম সন্ধ্যাৰ সৃষ্টি কৰাৰ দৰে পাকিস্তানক ক্ষণস্থায়ী কৃত্ৰিম প্ৰভাতৰহে সৃষ্টি কৰিছিল। যোৱা ২৫ মাৰ্চ তাৰিখে প্ৰেচিডেণ্ট আয়ুব খাঁই সমগ্ৰ পাকিস্তানক এখন কাৰাগাৰলৈ ৰূপান্তৰিত কৰি তাৰ চাবি-কাঠি নতুন কাৰ্য্যাধ্যক্ষ জেনেৰেল ইয়া হায়া খাঁৰ হাতত শোধাই দিছে। লগে লগে সেই দুৰ্ভাগ্য-তাড়িত দেশত আৰম্ভ হৈছে স্বৈৰাচাৰী শাসনৰ ভয়াবহ নিশাৰ দ্বিতীয় যাম্। এই নিশাৰ কেতিয়া শেষ হ'ব সেই কথা নিশ্চিতভাৱে কোৱা এতিয়া আৰু কাৰো পক্ষে সম্ভৱ নহয়।

মানুহৰ ভাষাৰ বহুতো তাৎপৰ্য্য-পূৰ্ণ শব্দৰ দৰে 'বিপ্লৱ' শব্দটোৱেও যথেষ্ট ব্যৱহাৰৰ ফলত তাৰ আদিম অৰ্থগৌৰৱ এনেভাৱে হেৰুৱাই যে আজিকালি কিছুমান মানুহে ৰাস্তাত জুম বান্ধি চিঞৰ-বাখৰ কৰিলেই তাকেই বিপ্লৱ বুলি কোৱা হয়। ইস্কান্দাৰ্ মীৰ্জাক খেদি আয়ুব খাঁই পাকিস্তানৰ ৰাজ-পাট দখল কৰিলে তাকো কোৱা হয় বিপ্লৱ। চীনদেশত লাখ লাখ অৰ্দ্ধোন্মাদ উচ্ছৃংখল ডেকাই 'কদলী বনত মত্ত হস্তী'ৰ দৰে বিচৰণ কৰি ফুৰিলে তাকো কোৱা হয় (সাংস্কৃতিক) বিপ্লৱ ইত্যাদি। কিন্তু প্ৰকৃত বিপ্লৱ তেনেকৈ দিনে দিনে মুহূৰ্তে মুহূৰ্তে নঘটে। প্ৰকৃত বিপ্লৱ আচলতে আদৰ্শৰ বিপ্লৱ। ই কিছুমান মানুহৰ মনৰ মাজত আৰম্ভ হয় আৰু এনে বিপ্লৱে সমাজত কিছুমান পৰিবৰ্তনীয় ৰূপান্তৰ সাধন কৰি ইতিহাসৰ পথত নতুন মাইলৰ খুঁটি স্থাপন কৰে।

পাকিস্তানত যোৱা কেইমাহ ধৰি যি ঘটিছে তাক সেই দেশৰ বহুতো লোকেই বিপ্লৱ বুলি ভাবিবলৈ বা অভিহিত কৰিবলৈ প্ৰয়াস কৰিছে। সেই দেশত প্ৰকৃততেই এটা বিপ্লৱৰ সূচনা হোৱা হ'লে আমি অতিশয় সুখী হ'লোঁহেঁতেন কাৰণ এখন আধুনিক সু-সভ্য ৰাষ্ট্ৰ হিচাবে পাকিস্তানৰ অস্তিত্ব ৰক্ষাৰ কাৰণেই এনে এটা বিপ্লৱৰ প্ৰয়োজন অপৰিহাৰ্য্য হৈ আহিছে কাৰণ এনে এটা বিপ্লৱে আমাৰ সকলোৰে অকুণ্ঠ নৈতিক সমৰ্থন নিশ্চয় দাবী কৰিব পাৰিব। কিন্তু পৰিতাপৰ কথা যে পাকিস্তানত তেনে এটা বিপ্লৱ আৰম্ভ হোৱা নাই, বা অদূৰ ভৱিষ্যতত হোৱাৰ কোনো ইংগিতো আমি পোৱা নাই। পাকিস্তানত সম্প্ৰতি চলি থকা ব্যাপক আৰু স্বতঃস্ফূৰ্ত গণ-বিক্ষোভৰ দ্বাৰাই লক্ষ্য হ'ল সাধাৰণভাৱে পাকিস্তানৰ সমগ্ৰ জনসাধাৰণৰ কাৰণে তেওঁলোকৰ হৃত মৌলিক গণতান্ত্ৰিক অধিকাৰ ঘূৰাই অনা। তেওঁলোকৰ এই দাবী সমগ্ৰ সভ্য জগতে গ্ৰহণ কৰা মানৱ অধিকাৰ চনদৰ মূল নীতিসমূহৰ ওপৰত প্ৰতিষ্ঠিত আৰু এই দাবী পূৰণ কৰাৰ চেষ্টাত তেওঁলোকে বিশ্বৰ সকলো মানুহৰে নৈতিক সমৰ্থন আৰু সহানুভূতি লাভ কৰিব। কিন্তু পাকিস্তানৰ বিশেষ ঐতিহাসিক পটভূমিত বিচাৰ কৰি চালে দেখা যায় যে গণতান্ত্ৰিক শাসন-ব্যৱস্থাৰ পুনৰুদ্ধাৰৰ দাবীতকৈ পূৰ্ব-পাকিস্তানৰ আঞ্চলিক স্বায়ত্ত-শাসনৰ দাবীহে অধিক বৈপ্লৱিক আৰু তাৎপৰ্য্য-মণ্ডিত, আৰু এই দাবীৰেই আমাৰ অধিক মনোযোগ আকৃষ্ট হোৱা উচিত। তাৰ কাৰণ আছে। পূৰ্ব-পাকিস্তানৰ বাঙালী আৰু পশ্চিম-পাকিস্তানৰ পাঞ্জাবী — এই দুয়োটা সম্প্ৰদায়ৰ মাজত ভৌগোলিক,

সাংস্কৃতিক, সামাজিক আৰু ভাষিক দূৰত্বৰ দুস্তৰ ব্যৱধান থকা সত্ত্বেও দুয়োটা সম্প্ৰদায়ে লগ লাগি মাত্ৰ কুৰি বছৰৰ আগতে এখন ৰাষ্ট্ৰ গঢ়ি তুলিছিল মাত্ৰ এডাল ঐক্য-সূত্ৰক অৱলম্বন কৰি — আৰু সেই ঐক্য সূত্ৰডাল হ'ল ধৰ্ম। এই কথা অস্বীকাৰ কৰিবৰ উপায় নাই যে আজি ভাৰত আৰু পাকিস্তানৰ শতকৰা পঞ্চাশ ভাগতকৈ অধিক অৰ্থনৈতিক বিপৰ্য্যয় আৰু সামাজিক অশান্তিৰ প্ৰধান কাৰণ হ'ল দ্বি-জাতি-তত্ত্বৰ ভেটিত পাকিস্তানৰ প্ৰতিষ্ঠা আৰু তাৰ অৱধাৰিত পৰিণাম-স্বৰূপে ভগনীয়া সমস্যা, সাম্প্ৰদায়িক অশান্তি, পাৰস্পৰিক সন্দেহ আৰু তজ্জনিত প্ৰতিৰক্ষা-ব্যয়-বৃদ্ধি, যুদ্ধ -- ইত্যাদি। মুঠতে ধৰ্মৰ ভেটিত পাকিস্তানৰ প্ৰতিষ্ঠাই এই উপ-মহাদেশৰ সামাজিক পুনৰ্বিন্যাস আৰু অৰ্থনৈতিক উন্নতিৰ গতিবেগ কম পক্ষেও এক শতাব্দীৰ কাৰণে ব্যাহত কৰি দিলে। কিন্তু মাত্ৰ কুৰি বছৰ পূৰ নৌহওঁতেই পূৰ্ব-পাকিস্তানৰ বাঙালী জনসাধাৰণে আবিষ্কাৰ কৰিলে যে পুঁজিবাদী স্বাৰ্থ আৰু পুঁজিবাদী শোষণে ধৰ্মাধৰ্ম বিচাৰ কৰি কাম নকৰে। মুছলমান বাঙালী মুছলমান পাঞ্জাবীৰ দ্বাৰা নিৰ্মমভাবে শোষিত হোৱাৰপৰা ধৰ্মই তেওঁলোকক ৰক্ষা কৰিব পৰা নাই। সেয়েহে আজি তেওঁলোকে পূৰ্ব-পাকিস্তানৰ স্বাধীনতা বা বিকল্প হিচাবে সৰ্বাধিক পৰিমাণৰ স্বায়ত্ত শাসনৰ কাৰণে মৰণ-পণ সংগ্ৰাম কৰিবলগা হৈছে কাৰণ নহ'লে তেওঁলোকৰ ভাষা, সংস্কৃতি আৰু অৰ্থনীতি সকলো বিপন্ন হৈ পৰিছে। একপ্ৰকাৰ চাবলৈ গ'লে পশ্চিম-পাকিস্তানৰ শোষণ নীতিৰ বিৰুদ্ধে পূৰ্ব-পাকিস্তানৰ এই বিদ্ৰোহ পাকিস্তান-প্ৰতিষ্ঠাৰ মূল নীতি বা আদৰ্শৰ প্ৰতিয়েই এক বিৰাট প্ৰত্যাহ্বানস্বৰূপ, কাৰণ ধৰ্মতকৈ অৰ্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থহে এখন আধুনিক সমাজৰ ঘাই চালিকা শক্তি বুলি এই বিদ্ৰোহৰ দ্বাৰা স্বীকাৰ কৰি লোৱা হৈছে। ধৰ্মৰ ভেটিত পাকিস্তান-ৰাষ্ট্ৰৰ প্ৰতিষ্ঠা আধুনিক কালৰ এটা অতি কলংকময় ঘটনা আৰু এই উপ-মহাদেশৰ বহুতো দুখ-দুৰ্দশাৰ মূল কাৰণ। পাকিস্তানৰ প্ৰগতিশীল লোকসকলে যদি এটা নতুন সমাজ-ব্যৱস্থা স্থাপনৰ কাৰণে প্ৰকৃততে বিপ্লব কৰিব খোজে তেন্তে, তেওঁলোকে সৰ্বপ্ৰথমে ধৰ্মৰ ভেটিত ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ মূল নীতিৰ বিৰুদ্ধেই বিদ্ৰোহ কৰা ঘোষণা কৰা উচিত আৰু চেকুলাৰিজিম্ বা ধৰ্ম-নিৰপেক্ষতাক পাকিস্তানতো ৰাষ্ট্ৰীয় আদৰ্শ হিচাবে গ্ৰহণ কৰা উচিত। পাকিস্তানত আজি ভূট্টো বা তাৰিক আলীৰ দৰে বহুতো বিপ্লৱী ওলাইছে — যিসকলে একেখন মুখেৰে একে উশাহতে সমাজবাদ আৰু কাশ্মীৰৰ নাম লয়। এনেবোৰ লোক হয় মূৰ্খ, নহয় ভণ্ড, নহয় পূৰাপুৰি স্বাৰ্থপৰ সুবিধাবাদী। তেওঁলোকৰ দ্বাৰা আন সকলো কাম কৰা সম্ভৱ হ'লেও সুস্পষ্ট আৰু গতিশীল আদৰ্শৰ ভেটিত নতুন সমাজ স্থাপনৰ কাৰণে বিপ্লৱ কৰা সম্ভৱ নহয়। আমি আজি সকলোৱে পাকিস্তানত এনে এটা বিপ্লৱ হ'ব বুলি আশাৰে সৈতে বাট চাই আছোঁ, যি বিপ্লৱে কেৱল গণতান্ত্ৰিক শাসন-ব্যৱস্থা পুনৰুদ্ধাৰ কৰা কেতবোৰ অঞ্চলক স্বায়ত্ত-শাসন প্ৰদানতে ক্ষান্ত নাথাকি একোটা জোঁকাৰণিতে সেই ৰাষ্ট্ৰৰ মধ্যযুগীয় আদৰ্শৰ ভেটি খহাই পেলাব আৰু আধুনিক ধৰ্ম নিৰপেক্ষ আদৰ্শৰ ভেটি প্ৰতিষ্ঠা কৰিব। এনে এটা মৌলিক দাবীৰ ভেটিত কোনো এটা আন্দোলন নোহোৱালৈকে পাকিস্তানত প্ৰকৃত বিপ্লৱৰ সূচনা হোৱা বুলি ক'ব নোৱাৰি, আৰু সেইটো নোহোৱালৈকে পাকিস্তানী ৰাইজৰ আন বিকোনো দাবী বা সংগ্ৰামেই আংশিকভাৱেহে আমাৰ নৈতিক সমৰ্থন লাভ কৰিব পাৰিব।

সাপ্তাহিক নীলাচল, ২৮শ সংখ্যা : ৯ এপ্রিল, ১৯৬৯ চন

বিহুৰ ওলগ

বিহু আকৌ আহিছে, কিন্তু মানুহৰ মন আগৰে দৰে উলাহত নাচি উঠা নাই। অভাৱ-অনাটন আৰু দৰিদ্ৰতাৰ কাৰণে দায়ী সেই কথা সঁচা। কিন্তু কেৱল বৈষয়িক দাৰিদ্ৰ্যই আমাৰ জীৱন নিৰানন্দ হৈ অহাৰ একমাত্ৰ কাৰণ নহয়। আচলতে মানুহৰ মনৰ মাজতো কিবা এটা কঠিন ৰোগে বাহ বান্ধিছে। সেই ৰোগ নিৰ্মূল কৰিব নোৱৰালৈকে মানুহে বিহুৰ আনন্দ উপভোগ কৰাৰ ক্ষমতা কেতিয়াও ঘূৰাই নেপায়। এটা উদাহৰণ দিওঁ। উজনি অসমত হুচৰি বিহুৰ এটা অপৰিহাৰ্য্য অংগ। এনে এটা দিন আছিল যেতিয়া হুচৰি বুলিয়েই গাঁৱৰ ল'ৰা-বুঢ়া নিৰ্বিশেষে সকলোৰে মন আনন্দত নাচি উঠিছিল। ৰাতি বিছনাত শুই শুই সকলোৱে কাণ থিয় কৰিছিল চোতালত কেতিয়া ঢোলৰ চাপৰ পৰে। তাকে শুনিবৰ কাৰণে হুচৰি আৰম্ভ হোৱাৰ লগে লগে ল'ৰা-বুঢ়া, জীয়াৰী-বোৱাৰী সকলো বাহিৰলৈ ওলাই আহি মুগ্ধ-উদ্বেলিত হৃদয়েৰে হুচৰিৰ আনন্দ উপভোগ কৰিছিল। হুচৰি বিদায় দিবৰ সময়ত যাৰ যি সামৰ্থ্য সেই অনুসৰি গৃহস্থই পাণ-তামোল, পইচা আৰু নতুন বোৱাৰী থাকিলে তেওঁৰ হাতেৰে বোৱা গামোচাৰে সেৱা কৰি বছৰটোৰ কাৰণে ৰাইজৰ আশীৰ্বাদ লৈছিল। কিন্তু সেইবোৰ কথা এতিয়া কেৱল অতীতৰ সাধুকথাত মাত্ৰ পৰিণত হৈছে। আজিকালি হুচৰিৰ নাম শুনিলেই মানুহ ভয়ত কঁপি উঠে। কাৰণ হুচৰি আজিকালি এটা পৱিত্ৰ অনুভূতি-বিজড়িত আনন্দ-অনুষ্ঠানৰ পৰিবৰ্তে হৈ পৰিছে জোৰ-জুলুম কৰি টকা আদায় কৰাৰ এটা কৌশল মাত্ৰ। আগৰ দিনত হুচৰিৰ দ্বাৰা সংগৃহীত টকা জমা হৈছিল নামঘৰৰ পুঁজিত। হুচৰিৰ 'ঘেটা'ও শেষ কৰা হৈছিল নামঘৰতেই। কিন্তু জনশ্ৰুতিমতে আজিকালি বেছিভাগ ক্ষেত্ৰতেই হুচৰি গাই সংগ্ৰহ কৰা টকা খৰচ কৰা হয় মদ-মাংসৰে ভোজ-ভাত খোৱাত। এইবোৰ কাৰণতেই আজিকালি হুচৰি আৰু তাৰ লগে লগে বিহুৰ প্ৰতি মানুহৰ মনত আগ্ৰহৰ পৰিবৰ্তে আতংকৰ ভাবহে বেছি হৈ আহিছে।..... মূঠতে অতি দ্ৰুত গতিৰে আমাৰ মূল্যবোধবোৰ বেয়াৰ ফালে সলনি হৈছে আৰু আমাৰ জীৱনৰপৰা উছৱৰ ৰং-ধেমালি হেৰাই যোৱাৰ এটা প্ৰধান কাৰণ হ'ল জীৱনৰ কেতবোৰ অতি পৱিত্ৰ আদৰ্শৰ অব-মূল্যায়ন (Devaluation) আৰু বিকৃতি। কেৱল অভাৱ-অনাটনেই তাৰ কাৰণে দায়ী নহয়।

আজিকালি বিহু বুলিলেই বুঢ়াই অতীতৰ স্মৃতি সুঁৱৰি দীৰ্ঘশ্বাস পেলায়। ডেকাই বিস্বাদ বৰ্তমানৰ কথা চিন্তা কৰি মুখ বিকৃত কৰে। এনে আচৰণ এখন সুস্থ আৰু প্ৰাণৱন্ত সমাজৰ লক্ষণ নহয়। প্ৰত্যেক যুগৰ মানুহেই অতীতটোক বৰ্তমানতকৈ বেছি মধুৰ বুলি কল্পনা কৰে। আজি বিসকল ডেকাই নিজৰ বৰ্তমানটোৰ প্ৰতি বিৰক্ত হৈ তাক অভিশাপ দিছে, এদিন কাল-ক্ৰমত তেওঁলোক বুঢ়া হৈ অতীতলৈ ৰূপান্তৰিত হৈ সেই একেখিনি সময়কে অতিশয় গভীৰ আবেগেৰে সৈতে স্মৰণ কৰিব আৰু এবাৰ সেইখিনি সময়কে ঘূৰাই পোৱাৰ নিষ্ফল কামনাত হাহাকাৰ কৰি মৰিব। অৰ্থাৎ, বিহুৰ আকৰ্ষণ যদি ক্ৰমে ক্ৰমে হেৰাই আহিছে, তাৰ কাৰণে সৰ্বদোষ কেৱল এই সময়খিনিৰেই নহয়, মানুহৰ মনটো তাৰ কাৰণে বহু পৰিমাণে দায়ী। সময় বা পৰিৱেশৰো যদি কিবা দোষ ঘটিছে, তেতিয়াহ'লে তাৰ প্ৰতিকাৰৰ একো চেষ্টা নকৰি কেৱল নিজৰ ভাগ্যকে ধিক্কাৰ দি থকাটো পৌৰুষৰ লক্ষণ নহয়। প্ৰতিকূল অৱস্থাৰ লগত যুঁজ কৰি জয়ী হোৱাটোৱে

মানুহৰ মনুষ্যত্বৰ গৰিমা ফুটি উঠে। বিহুৰ বাণী আশাৰ বাণী, যৌৱনৰ বাণী। বিহু আহিছে – সকলো মানুহে নিজৰ হতাশা জয় কৰি, ক্লীবত্ব পৰিহাৰ কৰি কৰ্ম-সমুদ্ৰত জঁপিয়াই পৰক, আৰু তাৰ দুৰ্গম তলিৰপৰা আনন্দৰ মণি-মুক্তা বুটলি আনক। বিহুৰ দিনত ইয়াতকৈ ডাঙৰ সংকল্প আৰু একো নাই। দ্বিতীয়তে বিহু কেৱল অসমীয়া মানুহলৈ অহা নাই। পৃথিৱীৰ সকলো মানুহলৈকে বিহু আহিছে – যি বিহু বসন্তৰ মধুৰ উৎসৱ, পুৰণি জীৰ্ণ আভৰণ ত্যাগ কৰি নিজকে নতুন সাজেৰে সজোৱাৰ উৎসৱ, জীৱনৰ নতুন সংকল্প লোৱাৰ উৎসৱ। সেয়েহে আহিব ধৰা বিহু উপলক্ষে আমি এজন বিদেশী কবিৰ এটি কবিতাৰেই পৃথিৱীৰ সকলো মানুহলৈ আগতীয়াকৈ আমাৰ বিহুৰ ওলগ যাচিলোঁ।

আনন্দ তোমাৰ চিৰ-সঙ্গী হওক।
হাত দুখন মেলি দিয়া
আৰু থাপ্ মাৰি ধৰা পলাই যাব খোজা আনন্দক,
যেনেকৈ 'আপাচি' নাচনিয়ে
থাপ্ মাৰি সাৱটি ধৰে তাৰ তিৰোতাক।
মই দেখিছোঁ সিহঁতক –
বহুতদিন জীয়াই থাকে সিহঁত,
আকাশ ফাটি যোৱাকৈ হাঁহে,
প্ৰচণ্ড এক প্ৰেমৰ পেষণত
কামিহাড়ৰ তলত সিহঁতৰ হৃৎ-পিণ্ড গুড়ি হৈ যায়,
উন্মত্তৰ দৰে সিহঁতে নাচি থাকে .... অবিৰাম।
সদায় আনন্দ,
সকলোতে আনন্দ,
আনন্দৰ হাতেৰেই যেন মৰণ হয় তোমাৰ।
সদায় আঁতৰি থাকিবা ক্ষুদ্ৰ ক্ষুদ্ৰ মৰণৰপৰা।

— কাৰ্ল্ চেণ্ডবাৰ্গ্।

সাপ্তাহিক নীলাচল, ২৯শ সংখ্যা : ২৩ এপ্রিল, ১৯৬৯ চন

ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণ

ভাৰতৰ ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুছেইনে অসম ভ্ৰমণৰ উদ্দেশ্যে আহি এক্কৈশ তাৰিখে তেজপুৰত পদাৰ্পণ কৰিছে। নেফা আৰু উজনি অসমৰ ভ্ৰমণ শেষ কৰি অহা ২৫ তাৰিখে তেওঁ গুৱাহাটীলৈ আহিব। ডঃ হুছেইনৰ পৰিচয় কেৱল ৰাষ্ট্ৰপতি পদবীৰ মাজতে সীমাবদ্ধ নহয়; আন প্ৰকাৰেও তেওঁ ভাৰতৰ এজন মহান সন্তান আৰু ভাৰতীয় সংস্কৃতিৰ মহত্তম বৈশিষ্ট্য-ৰাজিৰ প্ৰতীক-স্বৰূপ। আধুনিক ভাৰতীয় জীৱনৰ হাজাৰ ব্যৰ্থতা আৰু বিকৃতি সত্ত্বেও যাইকৈ যিকেইটা বৈশিষ্ট্য আৰু নতুন মূল্যবোধৰ কাৰণে এই দেশে আজি বিশ্ববাসীৰ সশ্ৰদ্ধ মনোযোগ আকৰ্ষণ কৰিছে, সেই বৈশিষ্ট্য আৰু মূল্যবোধসমূহ সৃষ্টি কৰাত ডঃ হুছেইনৰ ব্যক্তিগত অৱদানো উপেক্ষণীয় নহয়। অসমৰ সদৌ ৰাইজৰ লগতে আমিও ৰাষ্ট্ৰপতিলৈ স্বাগতম জনাইছোঁ আৰু তেওঁলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাৰ অঞ্জলি ভাগ আগবঢ়াইছোঁ।

যোৱা কেইবাবছৰ ধৰি অসমৰ ৰাইজৰ মনত কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে বহুতো অভিযোগ পুঞ্জীভূত হৈ আহিছে। সম্প্ৰতি অৱস্থাই এনে ৰূপ লৈছে যে সেই পুঞ্জীভূত ক্ষোভ আৰু যন্ত্ৰণাই এনে ৰূপ লৈছে যিকোনো মুহূৰ্ততে এটা প্ৰচণ্ড বিস্ফোৰণৰ ৰূপত আত্ম-প্ৰকাশ কৰিব পাৰে বুলি বহুতে আশংকা কৰিছে। ঠিক এনে সময়তে ৰাষ্ট্ৰপতি আমাৰ মাজলৈ আহিছে। আমি আশা কৰিছোঁ যে ৰাষ্ট্ৰপতিয়ে তেওঁৰ স্বভাব-সুলভ অনুদৃষ্টি আৰু সহানুভূতিশীলতাৰ সহায়েৰে অসমবাসী ৰাইজৰ মৰ্ম-বেদনা উপলব্ধি কৰিবলৈ সক্ষম হ'ব আৰু যথাস্থানত তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব। আমি স্পষ্টভাৱে এটা কথা ঘোষণা কৰিব খোজোঁ যে বেছিভাগ কেন্দ্ৰীয় নেতাৰ ওপৰতে আমাৰ অকণো আস্থা নাই। বাহিৰত আনক দেখুৱাই তেওঁলোকে অসমৰ কাৰণে ঘঁৰিয়ালৰ চকুপানী টুকি আনক দেখুৱালেও বা মুখেৰে নানা মিছা আশ্বাস দিলেও কাৰ্য্যতঃ তেওঁলোকে অসমৰ কাৰণে একো কৰিব নোখোজে বা নোৱাৰে। যিসময়ত কেন্দ্ৰ শক্তিশালী আছিল আৰু জৱাহৰলাল নেহৰু প্ৰায় ডিক্টেটৰ-স্বৰূপ আছিল, সেইসময়তে অসমৰ কাৰণে একো কৰা নহ'ল। এতিয়া কেন্দ্ৰৰ অৱস্থা ঠেক-ছিগা, সৰ্বভাৰতীয় নেতাৰ মুখা পিন্ধা দ্বিতীয় শ্ৰেণীৰ আৰু কংগ্ৰেছৰ দ্বিতীয় পুৰুষৰ নেতাসকল ন্যস্তস্বাৰ্থৰ হাতত অসহায় পুতলা মাত্ৰ। নানা প্ৰতিকূল অৱস্থা আৰু শক্তি-চক্ৰৰ জালত তেওঁলোক বন্দী। যি আঞ্চলিক বৈষম্য আৰু অৰ্থনৈতিক শোষণৰ কাৰণে আজি ভাৰতৰ ৰাষ্ট্ৰীয় সংহতি থান-বান হৈ যাবৰ উপক্ৰম হৈছে, তাক ৰোধ কৰাৰ শক্তি এইসকল নেতাৰ নাই। ন্যায়-বিচাৰ, সুস্থ জাতীয়তাবাদ আৰু আদৰ্শানুৰাগৰ বলেৰে ভাৰতক একত্ৰিক কৰি ৰাখিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে এওঁলোকে কেন্দ্ৰীয় পুলিচ-বাহিনীৰ বন্দুক-বেয়নেটৰ সহায়েৰে ভাৰতবাসীক এক কৰি ৰাখিব খোজে। অতি সোনকালেই যদি এই অৱস্থাৰ অৱসান নহয়, তেন্তে ভাৰতৰ ভূগোল আৰু ইতিহাস মাত্ৰ আধা শতাব্দীৰ ভিতৰতেই আকৌ এবাৰ নতুনকৈ লিখিব লগা হ'ব পাৰে।

এটা কথা অৱশ্যে ঠিক যে ভাৰতৰ কোনোখন ৰাজ্যই আজি সম্পূৰ্ণ সুখী নহয়। প্ৰত্যেকে ভাৱে যে তেওঁলোকহে আটাইতকৈ বেছি অৱহেলিত আৰু অনগ্ৰসৰ। এনে এটা ধাৰণাৰ কোনো ভিত্তি নাই বুলি ক'ব

নোৱাৰি। কোনো কোনো ৰাজ্যত হয়তো কল-কাৰখানা বেছিকৈ স্থাপিত হৈছে, মানুহে কিছু বেছিকৈ চাকৰি পাইছে, চাকৰিৰ সংখ্যা-তত্ত্বৰ হিচাবত জনমূৰি আয় বেছি হৈছে, কিন্তু প্ৰকৃতপক্ষে ইয়াৰপৰা প্ৰকৃত ছবি ফুটি নুঠে। সাধাৰণ মানুহে মানুহৰ অৱস্থা সৰ্বত্ৰপ্ৰায় একেই। তেওঁলোক সকলোৱে একে ধৰণৰ অৱৰ্ণনীয় দাৰিদ্ৰ্যৰ চিৰ-অন্ধকাৰ পাতালত নিৰ্বাসিত। কিন্তু তাৰ ভিতৰতো ৰাজ্যভেদে কিছু পাৰ্থক্য নিশ্চয় আছে। আমাৰ ঘাই আপত্তি নিশ্চয় এইটো নহয় যে কেৱল অসমৰ মানুহেহে ভাৰতৰ ভিতৰত আটাইতকৈ দৰিদ্ৰ। অসমৰ ঘাই আপত্তি হ'ল এইটোৱে যে ভাৰতৰ অন্যান্য অঞ্চলত যি স্থলত সামান্য পৰিমাণে হ'লেও উদ্যোগীকৰণৰ আৰু আধুনিকীকৰণৰ সূচনা হৈছে, সেই স্থলত অসমৰ সু-পৰিকল্পিত ষড়যন্ত্ৰৰ দ্বাৰা সকলো ন্যায্য প্ৰাপ্যৰপৰা বঞ্চিত কৰা হৈছে। ভাৰতৰ অন্যান্য অঞ্চলত উন্নততৰ ভৱিষ্যতৰ কাৰণে অন্ততঃ এটা ভিত্তিভূমি প্ৰতিষ্ঠা কৰা হৈছে, অসমত সেইটোও কৰা হোৱা নাই। নানা ঐতিহাসিক আৰু ভৌগোলিক কাৰণত অসম বৃটিছৰ শাসনতো ভাৰতৰ অন্যান্য ৰাজ্যতকৈ পিছ পৰি ৰ'ল, এতিয়া স্বাধীন ভাৰতবৰ্ষতো অসম পিচ পৰিয়েই ৰৈছে। এনে অৱস্থা চলি থাকিবলৈ হ'লে অসম চিৰকাল দুৰ্বল হৈয়ে ৰ'ব আৰু ভাৰতৰ অন্যান্য শক্তিশালী অঞ্চলৰ লোকৰ উপনিবেশত মাত্ৰ পৰিণত হ'ব। অসমৰ মানুহৰ দ্বিতীয় আপত্তি এই যে তেওঁলোকক ভাৰতৰ প্ৰতি এটা sense of belonging বা আত্মীয়তাৰ বন্ধন অনুভৱ কৰিবলৈ কোনো সুবিধা দিয়া হোৱা নাই; জাতীয় জীৱনৰ সকলো ক্ষেত্ৰতে তেওঁলোকৰ প্ৰতি এনে আচৰণ দেখুওৱা হৈছে যে তেওঁলোক যেন ভাৰত-ৰাষ্ট্ৰৰ সমান অংশীদাৰ নহয়, তেওঁলোক কেৱল ভাৰতৰ আশ্ৰিত পোষ্য মাত্ৰ। অসমৰ ৰাইজৰ প্ৰতি কৰা অন্যায়-অবিচাৰ বঞ্চনাৰ কাহিনী ইতিমধ্যে ইমানবাৰ বৰ্ণনা কৰা হৈছে যে ইয়াত তাক আৰু দোহাৰিবৰ সকাম নাই। আজি ৰাষ্ট্ৰপতিক আমাৰ মাজত পাই কেৱল এটা কথাৰ প্ৰতিহে আমি তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ। কেন্দ্ৰীয় চৰকাৰে অসমৰ মানুহৰ মনৰ কথাৰ উমান লবলৈ চেষ্টা কৰিছেনে নাই আমি নাজানো, বা তেওঁলোকৰ চোৰাংচোৱা বাহিনীয়ে তেওঁলোকক দাঁৰৰ বাতৰি দাঁৰে দি কি ভাবে জনাই আছে তাকো আমি নাজানো; কিন্তু এটা কথা ঠিক যে কেৱল চোৰাংচোৱা ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি দেশ চলাবলৈ গৈ বহুতো ৰাষ্ট্ৰনায়ক বিপদত পৰিছে। কেন্দ্ৰীয় চৰকাৰে যদি প্ৰকৃততে অসমত কি ঘটিছে সেই কথা জানিবলৈ চেষ্টা কৰে তেন্তে তেওঁলোকে জানিব যে অসমত উঠি অহা চাম নতুন পুৰুষৰ মন নানা ক্ষোভ আৰু তিক্ততাৰে ভৰি পৰিছে আৰু সামান্য অনুকূল পৰিৱেশ পালেই সি জলন্ত আগ্নেয়গিৰিৰ ৰূপ লব পাৰে। পূৰ্ববঙ্গত সম্প্ৰতি যি ঘটিছে আৰু দহ-পোন্ধৰ বছৰৰ ভিতৰত ঘটিব, তাৰ প্ৰতিও আমি আওকাণ কৰি থকা উচিত নহয়, কাৰণ খুব সম্ভব পূৰ্ববঙ্গৰ ঘটনাৱলীয়ে অসমত প্ৰচণ্ড প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব। এই সকলো কথা চিন্তা কৰি কেন্দ্ৰীয় চৰকাৰে আৰু ভাৰতৰ সংহতিকামী সকলো লোকেই এখন সুখী আৰু সমৃদ্ধিশালী অসম গঢ়ি তুলিবলৈ চেষ্টা কৰক। এখন সুখী অসম ভাৰত মাতৃৰ শিৰৰ মুকুটৰ উজ্জ্বলতম ৰত্ন হোৱাৰ আশা আছে। এই বিষয়ে কোনো সন্দেহ নাই যে এখন দুৰ্বল অনগ্ৰসৰ আৰু অসন্তুষ্ট অসম চিৰকাল ভাৰত-ৰাষ্ট্ৰৰ 'একিলিজ্-হিল্' হৈ ৰ'ব। ভাৰতৰ সুদীৰ্ঘ ইতিহাসত শতাব্দীৰ পিচত শতাব্দী ধৰি সকলো বিপদ আহিছিল পশ্চিমৰপৰা। এতিয়া যদি নতুন কিবা বিপদ আহিবলৈ হয় সি হ'ব পূবৰপৰা। কেন্দ্ৰই যিমান সোনকালে এই কথা উপলব্ধি কৰে সিমানেই সকলোৱে পক্ষে মঙ্গল।

প্ৰগতিৰ প্ৰতীক ৰেলগাড়ী

মহাত্মা গান্ধীয়ে ভাৰতত বৃটিছ শাসনৰ বিৰুদ্ধে সৰ্ব-শক্তিৰে যুঁজ কৰিছিল, কাৰণ তেওঁ বিশ্বাস কৰিছিল যে বৃটিছ শাসন ভাৰতবাসীৰ পক্ষে অভিশাপৰ বাহিৰে আন একো নহয়। মহাত্মা গান্ধীয়েও নিজ মুখে স্বীকাৰ কৰিছিল যে অন্ততঃ এটা বস্তুৰ কাৰণে তেওঁ বৃটিছ শাসনৰ ওচৰত কৃতজ্ঞ, সেই বস্তুটো হ'ল ৰেলগাড়ী। কেইবাহাজাৰ বছৰ ধৰি ভাৰতৰ প্ৰতি সেনাপতি আৰু সন্ত-মহন্তই যিটো কাম কৰিব পৰা নাছিল, ৰেলগাড়ীয়ে একেদিনতে সেই কাম সম্ভৱ কৰি তুলিলে। ই সমগ্ৰ ভাৰতবৰ্ষক শাৰীৰিকভাৱে এক কৰি তুলিলে। কোৱা বাহুল্য মাথোন যে ৰেলগাড়ী অবিহনে ভাৰতৰ আধুনিক জাতীয়তাবাদৰ ৰূপটো কল্পনা কৰা নিশ্চয় কিছু কষ্টসাধ্য হ'লহেঁতেন। কিন্তু যাতায়তৰ পথ সুগম কৰি এই বিশাল উপ-মহাদেশক এক কৰি তোলাতো ৰেলগাড়ীৰ একমাত্ৰ কৃতিত্ব নহয়। ৰেলগাড়ী আচলতে শিল্প-বিপ্লৱৰ ধ্বজা-বাহক আৰু আধুনিক প্ৰগতিৰ প্ৰতীক। প্ৰসিদ্ধ ঐতিহাসিক জি-এম ট্ৰেভেলিয়ানে কৈছে যে বাট-পদূলি যিফালেই যায়, সেইফালেই সভ্যতা অগ্ৰসৰ হয়। সেই একে সুৰতে ক'ব পাৰি যে ৰেলৰ আলি যিফালেই যায় সেইফালেই শিল্প-বাণিজ্যৰ বিস্তাৰ ঘটে। অসমলৈ বৃটিছ শাসনৰ দিনতে বৃটিছ চাহ-শিল্পৰ সীমিত প্ৰয়োজনত যিকণ ৰেলৰ আলি আহিছিল, তাতকৈ বিশেষ বেছি আজিও অহা নাই বুলি ক'ব পাৰি। স্বাধীনতাৰ পাচত মাত্ৰ দুটা নতুন উল্লেখযোগ্য ৰেলপথ অসমত বা অসমক সংযুক্ত কৰি স্থাপন কৰা হৈছে; তাৰে এটা হ'ল পাকিস্তান সৃষ্টিৰ পাচত ভাৰতৰ বাকী অংশৰ লগত অসমক সংযুক্ত কৰি ৰাখিবৰ প্ৰয়োজনত কৰা আসাম লিংক ৰেলৰে, আৰু আনটো হ'ল নিতান্তই সামৰিক প্ৰয়োজনত স্থাপন কৰা ৰঙাপাৰা নৰ্থ মোৰকংচেলেক ৰেলপথ। সীমিত প্ৰয়োজনৰ কাৰণে স্থাপন কৰা এই দুটা নতুন ৰেলপথৰ বাহিৰে অসমত আৰু এক ইঞ্চিও নতুন ৰেলপথ স্থাপন হোৱা নাই বা থকাখিনি ৰেলপথৰো বিন্দুমাত্ৰ উন্নতি বা পৰিবৰ্তন হোৱা নাই। ৰেলগাড়ী যদি প্ৰগতিৰ প্ৰতীক, তেন্তে অসমত ৰেলগাড়ীৰ শোচনীয় দুৰৱস্থা যে এই ৰাজ্যৰ অৰ্থনৈতিক আৰু ঔদ্যোগিক স্থবিৰতাৰ প্ৰতীক সেই কথা নিশ্চয় নক'লেও হ'ব।

সমগ্ৰ ভাৰতবৰ্ষ যদি কোনোবাই ৰেলেৰে ভ্ৰমণ কৰি আহি অসমত প্ৰবেশ কৰে তেন্তে তেওঁ এটা টাইম মেচিনৰ সহায়েৰে বিংশ শতাব্দীৰ পৰা ঊনবিংশ শতাব্দীলৈ ঘূৰি যোৱা যেন অনুভৱ কৰে। কণা হাঁহক পতান ধান দি আভুৱা ভাৰি থকাৰ দৰে অসমৰ মানুহক মান্ধাতাৰ আমোলৰ এই জৰাজীৰ্ণ ৰেল অৱস্থাকে লৈ সন্তুষ্ট হৈ থাকিবলৈ বাধ্য কৰাৰ কাৰণ কি? অপৰ পক্ষৰপৰা কোনো যুক্তি-যুক্ত ব্যাখ্যা নোপোৱালৈকে তাৰ এটা মাত্ৰ কাৰণেই অনুমান কৰি লব পাৰি। সেই কাৰণটো হৈছে, ভাৰতৰ অন্যান্য প্ৰান্তৰ মানুহৰ মনত উন্নততৰ জীৱনৰ কাৰণে বা আধুনিক জীৱনৰ সা-সুবিধাৰ কাৰণে যি ব্যাকুলতা দেখা গৈছে, অসমৰ মানুহৰ মনত সেই ব্যাকুলতা আজিও জাগি উঠা নাই। অসমৰ মানুহৰ নিজৰ দৈন্য-দশাকে লৈ সন্তুষ্ট হৈ থকা এই স্বভাৱৰ কাৰণে ভাৰত চৰকাৰেও সুবিধা পাই অসমক সকলো ন্যায্য প্ৰাপ্যৰপৰা বঞ্চিত কৰি ভাৰতৰ অন্যান্য অঞ্চলৰ উন্নতি সাধন কৰাত উঠি-পৰি লাগি গৈছে। দ্বিতীয়তে, বৃটিছসকলে যেনেকৈ ভাৰতত ঠিক যিমানখিনিহে আধুনিকীকৰণৰ সূচনা কৰিছিল, যিখিনি কৰিলে তেওঁলোকৰ ঔদ্যোগিক আৰু বাণিজ্যিক

স্বাৰ্থ পূৰণ হয়, ঠিক সেইদৰে ভাৰত চৰকাৰেও অসমত ঠিক সিমানখিনিহে ৰাস্তা-ঘাট আৰু কল-কাৰখানা স্থাপন কৰিব খোজে, যিখিনি কৰিলে অসমক ভাৰতৰ বাকী অঞ্চলৰ কাৰণে এটা উপনিবেশ হিচাবে ৰাখিব পাৰি। ভাৰত চৰকাৰে মুখেৰে যিয়েই নকওক, এতিয়া এটা কথা স্পষ্টভাৱে প্ৰমাণিত হৈ গৈছে যে অসমক উদ্যোগীকৰণৰ পথত আগুৱাই নিয়াৰ উদ্দেশ্য তেওঁলোকৰ একেবাৰেই নাই; এই ৰাজ্যক এখন কেঁচামাল সৰবৰাহকাৰী অঞ্চল আৰু অধিক জনবসতিপূৰ্ণ ভাৰতৰ অন্যান্য অঞ্চলৰ কাৰণে এখন উপনিবেশ হিচাবে ৰখাই কেন্দ্ৰীয় চৰকাৰৰ আচল অভিপ্ৰায় ভাৰত চৰকাৰে দয়া কৰি অসমক আজিলৈকে দিয়া নাই, ভৱিষ্যতলৈকো নিদিয়ে। এই সত্যটো উপলব্ধি কৰি অসমৰ মানুহে নিজৰ ন্যায্য অধিকাৰসমূহ আদায় কৰি লবৰ কাৰণে সকলো প্ৰকাৰে সচেষ্ট হোৱা দৰকাৰ। ঔদ্যোগিক আৰু অৰ্থনৈতিক বিকাশৰ প্ৰথম চৰ্ত হ'ল ৰেল পৰিবহন ব্যৱস্থাৰ উন্নতি। ৰেলপথত ব্ৰডগজ প্ৰৱৰ্তন কৰিব লাগে বুলি বিক্ষিপ্তভাৱে আবেদন-নিবেদন কৰাৰ বাহিৰে অসমৰ মানুহে আজিলৈকে ৰেলগাড়ী সম্পৰ্কে বিশেষ সচেতনতা দেখুওৱা নাই বা তেওঁলোকৰ দাবীৰ তালিকাত ৰেলগাড়ীৰ প্ৰাপ্যৰ অধিকাৰ এতিয়ালৈকে দিয়া নাই। সম্প্ৰতি ৰেলৱেৰ ডিভিজন আঁচনিৰ প্ৰতিবাদত অসমত এটা শক্তিশালী জনমত গঢ়ি উঠা দেখা গৈছে, আৰু এই আঁচনিৰ বিৰুদ্ধে এটা আন্দোলনো গঢ়ি উঠিছে। আমি ভাবোঁ যে এই আন্দোলন কেৱল ডিভিজন আঁচনিৰ প্ৰতিবাদ কৰাতে সীমাবদ্ধ নেৰাখি অসমৰ ৰেল পৰিবহন ব্যৱস্থাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ অৱহেলা আৰু বিমাতা সুলভ মনোভাৱৰ বিৰুদ্ধে এক প্ৰচণ্ড ব্যাপক গণ-আন্দোলনলৈ ৰূপান্তৰিত কৰা উচিত। সেই উদ্দেশ্যৰে বৰ্তমান 'ডিভিজন আঁচনি বিৰোধী কৰ্ম পৰিষদ'ৰ পৰিবৰ্তে বেলেগ এটা ব্যাপকতৰ অৰ্থযুক্ত নামেৰে এনে এখন স্থায়ী শক্তিশালী পৰিষদ গঠন ৰা উচিত- যি পৰিষদে অসমৰ ৰেল পৰিবহন ব্যৱস্থাৰ উন্নতিকল্পে এই অঞ্চলৰ ৰাইজে কৰা বিভিন্ন অৰ্থপূৰ্ণ দাবীবোৰ পূৰণ নোহোৱা পৰ্য্যন্ত কেন্দ্ৰীয় চৰকাৰৰ লগত আলাপ-আলোচনা চলাই যাব আৰু প্ৰয়োজন হ'লে গণ-আন্দোলনৰ নেতৃত্ব কৰিব। এই প্ৰস্তাৱিত পৰিষদত অসমৰ পাৰ্বত্য অঞ্চল, নাগালেণ্ড, মণিপুৰ আৰু নেফা অঞ্চলৰো প্ৰতিনিধিত্ব আহ্বান কৰা উচিত হ'ব, কাৰণ অৰ্থনৈতিক দৃষ্টিকোণৰপৰা এই গোটেই অঞ্চলটো এটা এটা অবিভাজ্য গোট, এই অঞ্চলৰ অৰ্থনৈতিক অনগ্ৰসৰতা দূৰ কৰিবলৈ হ'লে সমগ্ৰ পূৰ্বাঞ্চলৰ ৰাইজে একযোগ হৈ চেষ্টা কৰাৰ প্ৰয়োজন আছে। ৰেলগাড়ী লাগে বুলি কৰা দাবী এনে এটা দাবী, য'ত জাতি-ধৰ্ম আৰু পাহাৰ-ভৈয়াম নিৰ্বিশেষে এই অঞ্চলৰ সকলো ৰাইজকে একেখন মঞ্চ-গতীত একত্ৰিত কৰিব পৰাৰ সম্ভাৱনা আছে। অৱশ্যে ই এটা দীৰ্ঘম্যাদী পৰিকল্পনা। এই পৰিকল্পনাক কাৰ্য্যকৰী কৰিবলৈ কাম কৰি থকাৰ লগে লগে বৰ্তমান প্ৰস্তুত কৰি লোৱা আঁচনিৰ ভিত্তিতে অসমৰ ৰেল পৰিবহন ব্যৱস্থাৰ বৈপ্লৱিক উন্নতিৰ কাৰণে আলাপ-আলোচনা আৰু প্ৰয়োজন হ'লে আন্দোলন কৰি যোৱাটো নিশ্চয় উচিত হ'ব। ৰেলগাড়ী প্ৰগতিৰ প্ৰতীক আৰু ৰেলগাড়ীৰ সম্পূৰ্ণ সা-সুবিধা আদায় কৰিব নোৱাৰালৈকে অসমত প্ৰকৃত প্ৰগতিৰ পথ আৰু উন্নয়নৰ ভেটি স্থাপিত নহ'ব।

ডঃ জাকিৰ হুছেইন

ভাৰতৰ ৰাষ্ট্ৰপতি আৰু আধুনিক ভাৰতবৰ্ষৰ অন্যতম নিৰ্মাতা ডঃ জাকিৰ হুছেইন আমাৰ মাজত আৰু নাই। হৃদৰোগত আক্ৰান্ত হৈ যোৱা তিনি মে' তাৰিখে দিনৰ ১২ বাজি ৫৯ মিনিটত আকস্মিকভাৱে তেখেতৰ লোকান্তৰ ঘটে। জাতিৰ সেৱা-কাৰ্য্যত নিয়োজিত থকা অৱস্থাতে তেখেতৰ আকস্মিক মৃত্যুৱে সমগ্ৰ দেশতে শোকৰ ছাঁ পেলাইছে। অসমবাসী ৰাইজৰ মনত এই মৃত্যুৰ সংবাদ আৰু অধিক কৰুণ আৰু মৰ্মন্তুদ হৈ অনুভূত হৈছে, কাৰণ মাত্ৰ কেইদিনমান আগতে তেওঁ অসম ভ্ৰমণ কৰিবলৈ আহি তেওঁৰ ব্যক্তিত্বৰ মাধুৰ্য্য আৰু গৰিমাৰে এই ৰাজ্যৰ সমগ্ৰ জনসাধাৰণৰ অন্তৰ জয় কৰি গৈছিল।

চিৰ-বিচ্ছেদৰ বেদনাই মানুহৰ চকু অশ্ৰু-জলেৰে ধুৱাই দিয়ে আৰু দৃষ্টিক অধিক নিৰ্মল কৰি তোলে। আমাৰ এই অশ্ৰু-ধৌত নিৰ্মল দৃষ্টিৰ সন্মুখত পৰলোকগত ডঃ হুছেইনৰ মহান ব্যক্তিত্ব তাৰ প্ৰকৃত উজ্জ্বল ৰূপত আজি দেখা গৈছে। গ্ৰীক্ দাৰ্শনিক প্লেটোৱে বহু শতাব্দীৰ আগতে এদিন যি আদৰ্শ-ৰাষ্ট্ৰৰ সপোন দেখিছিল, তাৰ কৰ্ণধাৰৰূপে তেওঁ কল্পনা কৰিছিল এজন দাৰ্শনিকক। পৃথিবীৰ ইতিহাসত অতি কম ৰাষ্ট্ৰৰে ভাগ্যত প্লেটোৰ এই সপোন বাস্তৱত পৰিণত হৈছে। কিন্তু ভাৰতবৰ্ষৰ পক্ষে পৰম সৌভাগ্যৰ কথা যে স্বাধীনতা-লাভৰ মাত্ৰ কুৰি বছৰৰ ভিতৰতে দুজনকৈ জ্ঞান-তপস্বী দাৰ্শনিকে এই দেশৰ ৰাষ্ট্ৰ-প্ৰধানৰ আসন শুৱনি কৰিছিল। ডঃ ৰাধাকৃষ্ণণৰ যোগ্য উত্তৰাধিকাৰী আছিল ডঃ জাকিৰ হুছেইন। ডঃ ৰাধাকৃষ্ণণৰ দৰে জাকিৰ হুছেইনৰ ব্যক্তিত্বতো ঐতিহ্য আৰু আধুনিকতাৰ, পুব আৰু পশ্চিমৰ, জ্ঞান আৰু কৰ্মৰ অপূৰ্ব সমন্বয় ঘটিছিল, আৰু দুয়োজনে ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদবীটোক এক সু-উচ্চ মহিমা আৰু মৰ্য্যাদাৰ দীপ্তিৰে মণ্ডিত কৰিছিল। আমাৰ সকলোৰে অলক্ষিতে আৰু অজানিতে ইয়াৰ শুভ-প্ৰভাৱে আমাৰ ৰাষ্ট্ৰীয় জীৱনত সুফল-দায়ক ক্ৰিয়া কৰি থাকিব।

আমি আজি স্বৰ্গগত ডঃ হুছেইনৰ মহৎ গুণাৱলী আকৌ এবাৰ সশ্ৰদ্ধ হৃদয়েৰে স্মৰণ কৰিছোঁ আৰু লগতে আশা কৰিছোঁ যে তেওঁৰ যিবোৰ আৰব্ধ কাম আধৰুৱা হৈ ৰ'ল, যিবোৰ আশা অপূৰ্ণ হৈ ৰ'ল, যিবোৰ সপোন হৈয়ে ৰ'ল — সেই সকলোবোৰ সম্পূৰ্ণ কৰিবলৈ তেওঁৰ দেশবাসীয়ে যেন যথাসাধ্য চেষ্টা কৰে। মৃতকৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাবলৈ এইটোৱে একমাত্ৰ উপায়।

ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুছেইনৰ শুভা-গমনৰ উপলক্ষে —

প্ৰশস্তি

হে ভাৰতৰ ভাগ্যবিধাতা তোমাক নমস্কাৰ
ভাৰতবৰ্ষক দিলা তুমি বহু বস্তু উপহাৰ।
তাৰে বিটি মহাবস্তু মহাত্মা মোহন দাস
দীনহীন দৰিদ্ৰৰ হিয়াত কৰিছে বাস।
সেইহেন মহাত্মাৰ হিয়াত সোমাই তুমি

'নয়ী-তালিমে'বে ধন্য কৰিলা ভাৰত-ভূমি।
তুমি যেন অতীতৰ জ্ঞান চ'ল'মন আহি
'চাহাব হুছেইন' ৰূপে ফুলিলাহি পদ্মফুল পাহি।।
সমস্ত ভাৰতখনি তোমাৰেই ঘৰ বুলি ক'লা
ৰাষ্ট্ৰৰ গুৰি ধৰি আমাকেই আঁকোৱালি ল'লা
তব শুভ আগমন আনন্দত যাচিছোঁ অঞ্জলি
শ্ৰদ্ধানত শিৰে আমি কৰি কৃতাঞ্জলি।
অসমীয়া শবদেৰে ৰচা এই ক্ষুদ্ৰ মালাধাৰি
কৰিবা গ্ৰহণ। দিলোঁ আজি হৃদয় উবাৰি।।

—শ্ৰীআনন্দচন্দ্ৰ বৰুৱা।

(ভাৰতৰ স্বৰ্গীয় ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুছেইন অলপতে অসম ভ্ৰমণত আহোঁতে অসম সাহিত্য সভাৰ সভাপতি বকুলবনৰ কবি আনন্দচন্দ্ৰ বৰুৱাই তেখেতক যোৰহাটৰ চাৰ্কিট হাউচত লগ ধৰি অসমৰ সাহিত্যিক সমাজৰ হৈ এখন মান-পত্ৰ দিয়ে আৰু লগতে তেখেতৰ সন্মানাৰ্থে লিখা এই স্ব-ৰচিত চনেটটি পাঠ কৰি শুনায়। ডঃ হুছেইনে কবিতাটো শুনি অতি আনন্দ প্ৰকাশ কৰে আৰু পিচত তাৰ ইংৰাজী অনুবাদ পঢ়ি চাবলৈ আগ্ৰহ প্ৰকাশ কৰে। তেখেতে কবিতাটিৰ ইংৰাজী অনুবাদ পঢ়ি চাবলৈ সময় পালেনে নাই আমি নাজানো, কাৰণ অতি অভাৱনীয়ভাবে তেখেত হঠাৎ আমাৰ মাজৰপৰা গুচি গ'ল। অসম সাহিত্য সভাৰ সভাপতিৰ দ্বাৰা ৰচিত প্ৰশস্তি কবিতাটিত ডঃ হুছেইনৰ প্ৰতি যি অপাৰ আৰু অকৃত্ৰিম শ্ৰদ্ধা ফুটি উঠিছে তাৰ লগতে আমিও যোগ দিছোঁ।— সম্পাদক, সাঃ নীঃ)

সাপ্তাহিক নীলাচল, ৩২ সংখ্যা : ১৪ মে', ১৯৬৯ চন

আমবাৰী

আমবাৰীৰ মাটিৰ তলত অসমৰ প্ৰাচীন সভ্যতাৰ কেতবোৰ মহা-মূল্যবান নিদৰ্শন পোৱা গৈছে। এই বাতৰি পোৱাৰ লগে লগে অসম চৰকাৰৰ কোনোবা প্ৰতিনিধি তালৈ দৌৰি আহিব লাগিছিল আৰু সেই ঠাইৰ ৰক্ষণা-বেক্ষণৰ সকলো ব্যৱস্থা কৰিব লাগিছিল। যোৱা ৬ মে' তাৰিখে নবীন বৰদলৈ ভৱনত এখন নাগৰিক সভাত প্ৰসিদ্ধ বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই বক্তৃতা-প্ৰসংগত কৈছিল যে কেইবছৰমানৰ আগতে উৰিষ্যাৰ কোনো এখন ঠাইত প্ৰাচীন শিশুবল নগৰৰ ধ্বংসাৱশেষ ওলাওঁতে সেই ৰাজ্যৰ চৰকাৰে ঠিক তাকেই কৰিছিল। যিকোনো সভ্য দেশৰ চৰকাৰে তাকেই কৰিলেহেঁতেন। কিন্তু অসম চৰকাৰে নিজেতো সেই বিষয়ত একো আগভাগ নল'লেই, তাৰ পৰিবৰ্তে কিবা আইনৰ দোহাই দি গুৱাহাটী বিশ্ববিদ্যালয়কো খনন-কাৰ্য্যৰপৰা নিবৃত্ত কৰিবলৈহে চেষ্টা কৰিলে। চৰকাৰী কাণ্ড-কাৰখানা দেখি মানুহৰ এনেকুৱাহে ভাব হ'ল – যেন অপৰিমেয় ঐতিহাসিক গুৰুত্ব থকা আমবাৰীৰ ভূ-গৰ্ভস্থ বস্তুবোৰ উদ্ধাৰ কৰাতকৈ আক্ষৰিকভাৱে আইনৰ নিৰ্দেশ পালন কৰাটোহে অসম চৰকাৰৰ মানত বেছি জৰুৰী প্ৰয়োজনীয় কাম। চৰকাৰী জড়-চিত্ততাৰ ইয়াতকৈ ডাঙৰ কিবা প্ৰমাণ থাকিব পাৰে বুলি বিশ্বাস নহয়। সি যি কি নহওক, আমবাৰীৰ সন্মুখত থকা আচল ডাঙৰ সমস্যাটো সমাধা কৰিবলৈ এতিয়াও বাকী আছে। সেইটো হৈছে – আমবাৰী অঞ্চলটো সংৰক্ষিত কৰি তাত বৈজ্ঞানিক প্ৰণালীৰে খনন-কাৰ্য্য কৰিবলৈ ব্যৱস্থা কৰা। এই কথা এতিয়া বোধহয় সকলোৱে জানে যে আমবাৰীৰ এই অঞ্চলটো ৰিজাৰ্ভ বেংকৰ কাৰ্য্যালয় সাজিবৰ কাৰণে দিয়া হৈছিল। অৰ্থাৎ চৰকাৰৰ লগত হোৱা এটা অস্থায়ী ব্যৱস্থা অনুসৰি ৰিজাৰ্ভ বেংকৰ কৰ্তৃপক্ষই অহা ৬ জুনলৈকে তেওঁলোকৰ কাম বন্ধ ৰাখিব। জনা গৈছে যে অসম চৰকাৰে এই বিষয়ে ইতিমধ্যেই কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰিছে। কিন্তু সঁচা কথা ক'বলৈ গ'লে বুৰঞ্জী-পুৰাতত্ত্ব-ভাস্কৰ্য্য আদি সূক্ষ্ম কথাবোৰৰ বিষয়ত স্থূল-বুদ্ধি অসম চৰকাৰৰ লগতে অসমৰ মানুহৰ অকণো বিশ্বাস নাই। বিশ্বাস আছেনে নাই তাৰ প্ৰমাণ গুৱাহাটীৰ সংস্কৃতি-অনুৰাগী লোকসকলৰ দ্বাৰা অলপতে গঠন কৰা আমবাৰী সংৰক্ষণ সমিতিখন। যিখন ঠাইৰ মাটিৰ তলত ওলোৱা পুৰাতাত্ত্বিক সামগ্ৰীবোৰৰ ফলত সমগ্ৰ ভাৰতৰেই ইতিহাসৰ দুই-এটা অধ্যায় পুনৰ লিখিব লগা হ'ব পাৰে বুলি পণ্ডিতসকলে জল্পনা-কল্পনা কৰিছে, সেই ঠাইখন ৰক্ষণা-বেক্ষণ কৰিবলৈ যদি ৰাইজেহে আবেদন-নিবেদন বা আন্দোলন কৰিব লগা হয়, তেন্তে সেই দেশত এটা সভ্য চৰকাৰ আছে বুলি বিশ্বাস কৰা একেবাৰে অসম্ভব হৈ পৰে।

আমবাৰী যে সংৰক্ষিত হ'ব সেই বিষয়ে কোনো সন্দেহ নাই। সেইটো নজনাকৈ থাকিবলৈ কাৰো সাধ্য নাই। কিন্তু এই বিষয়ত অসম চৰকাৰে আৰম্ভণিৰেপৰা স্থূল-বুদ্ধিৰ পৰিচয় দি আহিছে, তাৰপৰা অসমৰ ভিতৰে-বাহিৰে সকলো মানুহৰ মনত নিশ্চয় এটা ধাৰণাৰ সৃষ্টি হ'ব যে জনমতৰ হেঁচাতহে অসম চৰকাৰে আমবাৰীৰ ঐতিহাসিক ধ্বংসাৱশেষবোৰৰ প্ৰতি মনোযোগ দিবলৈ বাধ্য হ'ল; নহ'লে ইমান দিনে সেই ঠাইৰ শতাব্দী-প্ৰাচীন সভ্যতাৰ অমূল্য স্মৃতি-চিহ্ন চিৰকালৰ কাৰণে সমাধিস্থ কৰি তাৰ ওপৰত আজি সগৰ্বে থিয় হ'লহেঁতেন মেমনৰ মন্দিৰ।

অসম চৰকাৰৰ 'ইমেজ'ৰ ইতিমধ্যে যি ক্ষতি-সাধন হ'ল তাক সহজে মেৰামতি কৰা টান। বাকী থকাকণো যাতে চিনিব নোৱৰাকৈ বিকৃত নহয় তাৰ কাৰণে আমবাৰীৰ সংৰক্ষণ আৰু অনুসন্ধানৰ কাৰণে যাবতীয় সকলো ব্যৱস্থা ততালিকে লওক – ইয়েই আমাৰ পৰামৰ্শ।

নক্‌শালবাৰী

নক্‌শালবাৰীৰ অৰণ্যৰ অন্ধকাৰত এদিন যি এটা ফিৰিঙতিৰ জন্ম হৈছিল তাক একুৰা জুইলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰা হৈছে। সৌ সিদিনা মাত্ৰ ভাৰতত এটা তৃতীয় কমিউনিষ্ট পাৰ্টি গঠন কৰা হৈছে – যাৰ ঘোষিত আদৰ্শ হ'ল – 'বন্দুকৰ নলীৰপৰাহে শক্তি নিৰ্গত হয়।' আমি বন্দুকৰ নলীৰপৰা নিৰ্গত হোৱা শক্তিক বিশ্বাস নকৰোঁ। বন্দুকৰ পুনৰ্বিন্যাসৰ কাৰণে আমি হিংসাৰ প্ৰয়োগ অপৰিহাৰ্য্য বুলি বিশ্বাস নকৰোঁ। গতিকে এই নতুন পাৰ্টি আৰু তাৰ ঘোষিত আদৰ্শক ভাৰতৰ মঙ্গলৰ পৰিপন্থী বুলি গণ্য কৰোঁ। কিন্তু ইয়াৰ লগতে আমি এইটোও কৈ থওঁ যে এই পাৰ্টিৰ প্ৰত্যাহ্বানৰ উত্তৰ শ্ৰীচৰণৰ আস্ফালন বা বন্দুকৰ গুলী নহয়। তাৰ একমাত্ৰ উত্তৰ হ'ল ভাৰতীয় সমাজৰ দাৰিদ্ৰ্য আৰু সামাজিক অন্যায়ৰ নিৰ্বাসন, অতি দ্ৰুতগতিৰে ভাৰতীয় সমাজৰ পুনৰ্নিৰ্মাণ। হিংসাৰ এটা নিজস্ব নিচা আছে। সেইটোক যদি সামাজিক বিপ্লৱৰ সঁজুলি হিচাবে ব্যৱহাৰ কৰা হয় আদৰ্শবাদী বহুতো যুৱকৰ ওচৰত সেই নিচাৰ আকৰ্ষণ হৈ পৰে অপ্ৰতিৰোধ্য। চে গোৱাভেৰাৰ নাম শুনিয়েই আবেগত গাৰ নোম থিয় হৈ উঠা এনে ডেকা আমি নিজ চকুৰে বহুত দেখিছোঁ। পৃথিবীৰ বহুতো দেশৰ দৰে ভাৰততো জীৱন-কালতে কিম্বদন্তীত পৰিণত হোৱা সেই ৰহস্যময় মানুহজনৰ অনুৰাগীৰ দল বাঢ়িছে। সম্ভাব্য চতুৰ্থটো কমিউনিষ্ট নেতা শ্ৰীপৰিমল দাসগুপ্তই ইতিমধ্যে কৈছে যে কানু স্যান্যালৰ মাও চে তুঙতকৈ চে গোৱাভেৰাৰ পথ অনুসৰণ কৰাৰ সম্ভাৱনাই বেছি। মুঠতে ভাৰতৰ ভৱিষ্যত অকণো ভাল নহয়। অদূৰ ভৱিষ্যতত যদি ৰক্তাক্ত সংঘৰ্ষই এই বিশাল দেশৰ এখন মাত্ৰ গাঁও বা এখন চহৰৰো জীৱন বিপৰ্য্যস্ত কৰি তোলে, তাৰ সমস্ত দায়িত্ব লব লাগিব কংগ্ৰেছ দল আৰু চৰকাৰে; কাৰণ যোৱা কুৰি বছৰে ধনীক আৰু ধনী কৰা আৰু দুখীয়াক আৰু দুখীয়া কৰা নীতি আৰু কাৰ্য্যপন্থা অনুসৰণ কৰি এই চৰকাৰে দেশত যি সৰ্বব্যাপী হতাশা, ক্ৰোধ আৰু অস্থিৰতাৰ সৃষ্টি কৰিছে, তাৰেই অৱশ্যম্ভাৱী পৰিণাম হ'ল এই হিংসা, উগ্ৰপন্থী দল-উপদলৰ সৃষ্টি। পৃথিবীৰ চাৰিওফালে এবাৰ চকু ফুৰাই চালেই বুজা যাব যে, এবাৰ এনেবোৰ দলে মূৰ দাঙি উঠিলে সিহঁত ৰক্ত-বীজৰ দৰে হৈ পৰে, সিহঁতক নিৰ্মূল কৰা হৈ উঠে প্ৰায় অসম্ভৱ। এই দলবোৰ আচলতে বেমাৰ নহয়, বেমাৰৰ লক্ষণহে। বেমাৰটো হ'ল ভাৰতীয় সমাজৰ কোটিকলীয়া কুষ্ঠ-ৰোগ সামাজিক অন্যায়। ভাৰত চৰকাৰে, সংসদী গণতন্ত্ৰত বিশ্বাসী ৰাজনৈতিক দলসমূহ আৰু সকলো শুভ-বুদ্ধি-সম্পন্ন মানুহে যিমান সম্ভৱ সোনকালে সেই বেমাৰটো দূৰ কৰক, লক্ষণবোৰ আপোনা-আপুনি নোহোৱা হ'ব।

আবকাৰী বিভাগ উঠাই দিব লাগে

মাত্র কেইসপ্তাহমান আগতে আমাৰ কাকতত এজন সংবাদদাতাই দাবী কৰিছিল যে আবকাৰী বিভাগটো উঠাই দিব লাগে। কিন্তু এই দাবী মাত্র এজন মানুহৰ দাবী বুলি ভাবিলে ভুল কৰা হ'ব। আবকাৰী বিভাগৰ অকৰ্মণ্যতা আৰু নিষ্ক্রিয়তাই সম্প্রতি এনে এটা সীমা পাইছেগৈ যে এই বিভাগৰ প্রয়োজনীয়তা সম্পৰ্কে এতিয়া প্রায় সকলো মানুহৰ মনতে ঘোৰ সন্দেহ উপস্থিত হৈছে। তাৰ প্ৰমাণৰ কাৰণে আৰম্ভণিৰেপৰা আমাৰ কাকতৰ 'অসম দৰ্পণ' শিতানটো এবাৰ চকু ফুৰাই চালেই যথেষ্ট হ'ব। যোৱা ৭ মাহৰ ভিতৰত আমি অসমৰ বিভিন্ন ঠাইৰ যিমানবোৰ বাতৰি আমাৰ কাকতত প্ৰকাশ কৰিছোঁ, বিষয়বস্তু অনুসৰি ভাগ কৰিলে তাৰ প্ৰায় এক-চতুৰ্থাংশ বাতৰিৰ ঘাই বিষয় হ'ল চোৰাং মদৰ অবাধ প্ৰচলন আৰু তাৰ ফলত সৃষ্টি হোৱা নানাবিধ সামাজিক অশান্তি। উদাহৰণস্বৰূপে, যোৱা ৭ মে' তাৰিখৰ মাত্র এটা সংখ্যা কাকততেই উত্তৰ লক্ষীমপুৰ, বাস্কা আৰু পাঠশালা— এই তিনি ঠাইৰপৰা আহিছে কেৱল চোৰাং মদৰ অবাধ ব্যৱসায়ৰ আপত্তি। উত্তৰ লক্ষীমপুৰৰ সংবাদদাতাই লিখিছে ঃ 'নগৰৰ বুকুত থকা কৰ্টৰপৰা আৰম্ভ কৰি চাউলধোৱা ৰোডৰ দুয়োকাষে আছচল গাঁও আৰম্ভ হোৱা এই ঠাইখিনি জুৰি প্ৰায় ১০০খন অবৈধ মদৰ দোকান আছে বুলি জানিব পৰা গৈছে। দুই-এখন মদৰ দোকানত মদৰ লগত দেহাৰো বাণিজ্য চলে বুলি জনৰব উঠিছে। গোটেই নগৰৰ বিভিন্ন স্থানত থকা অসংখ্য পাণ দোকানতো মদ অহৰ্নিশে বিক্ৰী হৈয়েই আছে বুলি শুনা গৈছে।' বাস্কাৰ সংবাদদাতাই লিখিছে ঃ 'এই অঞ্চলটোত আজি কিছুদিনৰেপৰা হাটে-বজাৰে ৰাস্তাই-ঘাটে মদপী আৰু জুৱাৰীৰ প্ৰকোপ বাঢ়ি যাবলৈ ধৰিছে। হাট বজাৰ কৰিবলৈ যোৱা খেতিয়কবোৰে জুৱা খেলি, মদ খাই পইচা শেষ কৰি ঘৰলৈ গধূলি উভতি আহে। বাগানপাৰা বজাৰ, ধমধমা বজাৰ আদিত মদ মুকলিভাৱে বিক্ৰী কৰা হয়।' পাঠশালাৰ সংবাদদাতাই লিখিছে ঃ 'ইয়াত আজি কেইবামাহো ধৰি মদ আৰু গাঞ্জাৰ প্ৰকোপ ইমানেই বৃদ্ধি পাইছে যে এইখন ৰাজ্যত মদ, গাঞ্জা আদিৰ প্ৰচলনৰ বিৰুদ্ধে যে কিবা এখন আইন আছে, তাক ইয়াৰ ৰাইজে স্বীকাৰ কৰিবলৈ টান পাইছে।' (এইখিনিতে এটা কথা উল্লেখ কৰা উচিত যে পাঠশালা আৰু বাস্কা দুয়োখন ঠায়েই কামৰূপ জিলাৰ অন্তৰ্গত আৰু এই জিলাত আজি বহু বছৰ ধৰি সম্পূৰ্ণ মদ নিবাৰণী আইন বলবৎ কৰা হৈছে।)

ওপৰত মাত্ৰ কেইটামান উদাহৰণহে দিয়া হ'ল, কিন্তু গোটেই ৰাজ্যজুৰি এই একেই অৱস্থা। অতি আচৰিত কথা যে বিভিন্ন বাতৰি কাকতত ৰাইজৰ ইমান বাৰম্বাৰ আৰু প্ৰবল আপত্তি হৈ থকা সত্বেও এই বিষয়ৰ প্ৰতি চৰকাৰৰ মনোযোগ আকৃষ্ট হোৱাৰ বা আবকাৰী বিভাগ সক্ৰিয় হৈ উঠাৰ বিন্দুমাত্ৰ লক্ষণ ৰাইজে দেখা নাই। গোটেই পৰিস্থিতিটো বিশ্লেষণ কৰি চালে তিনিটা কথা চকুত পৰে। প্ৰথমতঃ আমাৰ সমাজৰ নৈতিক ভেটি সম্পূৰ্ণ বিপৰ্য্যস্ত হৈ গৈছে আৰু সমাজৰ এক বৃহৎ সংখ্যক মানুহৰ মনত, বিশেষকৈ উঠি অহা নতুন পুৰুষৰ মনত হতাশা, ক্লীবতা আৰু পলায়নবাদী মনোভাবে ঠাই পাইছে। ইয়াৰ কাৰণ সম্বন্ধে গভীৰভাৱে অনুসন্ধান হোৱা দৰকাৰ। দ্বিতীয়তে, আমাৰ সমাজত চৰকাৰ-বিৰোধী আন্দোলন বা বিক্ষোভৰ

বাহিৰে সমাজ-সেবাৰ কোনো ইতি-বাচক সঙ্কল্প, সামাজিক মঙ্গল-ব্ৰতী বে-চৰকাৰী প্ৰচেষ্টা আৰু আদৰ্শবাদী সবল জনমত একেবাৰে নোহোৱা হৈ গৈছে। ই আমাৰ সমাজৰ পঙ্গুতা বা পক্ষাঘাতৰ বাহিৰে আন একো নহয়। তৃতীয়তে আৰু সৰ্বোপৰি, সকলো চৰকাৰী বিভাগৰ ভিতৰত আবকাৰী বিভাগেই আটাইতকৈ নিষ্ক্ৰিয়, অকৰ্মণ্য আৰু দুৰ্নীতি-কবলিত। অথচ বিধান সভাত এই বিভাগৰ সমলোচনাই হয় আটাইতকৈ কম। ইয়াৰ কাৰণ কি?

আমাক বহুতো ৰাইজে জানিবলৈ দিছে যে আবকাৰী বিভাগৰ কিছুমান কৰ্মচাৰীয়ে চোৰাং মদৰ অবাধ মুকলি ব্যৱসায় দেখিও নেদেখা ভাও জুৰি থকাৰ একমাত্ৰ কাৰণ হ'ল — এই কৰ্মচাৰীসকলে চোৰাং মদৰ ব্যৱসায়ীসকলৰপৰা মাহে মাহে লভ্যাংশ পাই থাকে। অন্ততঃ ৰাইজৰ সেইটোৱেই ধাৰণা। দ্বিতীয়তে, বৰ্তমানৰ আবকাৰী আইনখনতো এক অজস্ৰ ছিদ্ৰ আছে, যাৰ ফলত এই আইন লংঘন কৰোতা সকলক ধৰা পেলোৱা আৰু শাস্তি দিয়া অতি কষ্টসাধ্য ব্যাপাৰ হৈ পৰে। বেছিভাগ আবকাৰী বিভাগৰ কৰ্মচাৰীয়েই ইমানখিনি কষ্ট স্বীকাৰ কৰাতকৈ চকু মুদি বহি থকাটোৱেই বেছি ফলদায়ক বুলি বিবেচনা কৰে। আমি দাবী কৰো যে অসম চৰকাৰে অতি শীঘ্ৰে আবকাৰী বিভাগটোৰ আমূল পুনৰ্বিন্যাস কৰি তাক সক্ৰিয় কৰি তোলক আৰু আবকাৰী আইনখনকো প্ৰয়োজন অনুসৰি সংশোধিত কৰক। ৰাইজৰ লগতে সুৰ মিলাই আমিও ক'ব খোজোঁ যে তাকে কৰিব নোৱাৰিলে আবকাৰী বিভাগটো অতি সোনকালে উঠাই দিয়াই বেছি ভাল হ'ব। গান্ধী শতবাৰ্ষিকীৰ বছৰটোত এইটোৱেই হ'ব অসমৰ কংগ্ৰেছী চৰকাৰৰ আটাইতকৈ স্মৰণীয় কীৰ্ত্তি।

নতুন পুৰুষৰ ভৱিষ্যৎ

এ স্পেক্টাৰ্ ইজ্ হান্টিং ইণ্ডিয়া........ এটা ভয়ঙ্কৰ ভূতে দীঘল দীঘল খোজ পেলাই গোটেই ভাৰতত ঘূৰি ফুৰিব ধৰিছে। এই ভূতে কাক গ্ৰাস কৰে অলপ দিনৰ ভিতৰতে কি প্ৰলয়-কাণ্ড কৰে তাৰ একো ঠিক নাই।

এই ভূতটো হ'ল ভাৰতৰ ক্ৰমবৰ্ধমান নিবনুৱা সমস্যা। এই সমস্যাই অতি অলপ দিনৰ ভিতৰতে কি উৎকট ৰূপ ধাৰণ কৰিছে স্বয়ং ভাৰত চৰকাৰৰ প্ৰবিদেনৰ পৰাই তাক উপলব্ধি কৰিব পাৰি। ১৯৬৫ চনৰ পিচৰেপৰা ভাৰতত যি গভীৰ অৰ্থ-সংকটে দেখা দিছিল, ১৯৬৮ চনৰ শেষাৰ্ধৰপৰা তাৰ অৱসান হৈ আৰ্থিকভাৱে ভাৰত পুনৰ উজ্জীৱিত হোৱা বুলি ভাবি সকলোৱে আত্ম-প্ৰসাদ লাভ কৰিছিল। কিন্তু এতিয়া দেখা গৈছে যে ঠিক এইছোৱা সময়ৰ ভিতৰতে ভাৰতৰ ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটা খণ্ডতে কৰ্ম-সংস্থানৰ বৃদ্ধিৰ হাৰ আগতকৈ হ্ৰাসহে পায়। কেন্দ্ৰীয় শ্ৰম মন্ত্ৰণালয়ে কৰা এটা সমীক্ষাৰপৰা দেখা যায় যে ৰাজহুৱা খণ্ডত ১৯৬৬-৬৭ চনত কৰ্ম-সংস্থানৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ২.৭; কিন্তু ১৯৬৭-৬৮ চনত এই হাৰ শতকৰা ১.৭ লৈ হ্ৰাস পায়। ব্যক্তিগত খণ্ডত কৰ্ম-সংস্থানৰ হ্ৰাসৰ হাৰ ১৯৬৬-৬৭ চনত আছিল শতকৰা ১.৯; কিন্তু ১৯৬৭-৬৮ চনত এই হ্ৰাসৰ হাৰ শতকৰা ২.৪ লৈ বৃদ্ধি পায়। নিয়োগ-বিনিময় কেন্দ্ৰবোৰত কৰ্ম-প্ৰাৰ্থীৰ সংখ্যাও আগতকৈ শতকৰা ৫.৬ গুণ বৃদ্ধি পাইছে – যোৱা কেইবছৰৰ ভিতৰত নিবনুৱাৰ সংখ্যা বৃদ্ধিৰ এইটোৱেই হ'ল সৰ্বোচ্চ পৰিমাণ।

ওপৰৰ বিচাৰটো হ'ল সমগ্ৰ দেশৰে সাধাৰণ অৱস্থা। তাৰে ভিতৰত কিন্তু কিছুমান অঞ্চলত নিবনুৱাৰ সংখ্যা আগতকৈ কমিছে, কিছুমান অঞ্চলত আগতকৈ বাঢ়িছে। যিবোৰ অঞ্চলত নিবনুৱাৰ সংখ্যা আগতকৈ বাঢ়িছে তাৰ ভিতৰত অসম অন্যতম। কেন্দ্ৰীয় শ্ৰম মন্ত্ৰণালয়ৰ হিচাপ মতেই কৰ্ম-সংস্থানৰ বৃদ্ধিৰ হাৰ যিবোৰ ৰাজ্যত আগতকৈ হ্ৰাস হৈছে সেই ৰাজ্য কেইখন হ'ল বিহাৰ (২০,০০০), অন্ধ্ৰ (১৯,০০০), অসম (১৩,০০০), মহীশূৰ (১৩,০০০), পশ্চিম বঙ্গ (১০,০০০) ইত্যাদি। কিন্তু অন্যান্য ৰাজ্য কেইখনৰ লগত অসমৰ জনসংখ্যাৰ তুলনা কৰি চালে দেখা যাব যে জনসংখ্যা অনুপাতে নিবনুৱাৰ সংখ্যা বৃদ্ধি অসমত আন সকলো ৰাজ্যতকৈ বেছি। বস্তুতঃ যোৱা ২৩ মে'ৰ আসাম ট্ৰিবিউনত প্ৰকাশিত এটি বাতৰি অনুসাৰে যোৱা সাত বছৰত অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা শতকৰা ১০০ জন বৃদ্ধি পাইছে। ১৯৬১ চনৰ ডিচেম্বৰ মাহত অসমত এনে নিবনুৱাৰ সংখ্যা আছিল ৩১,৫৮০ জন, ১৯৬৮ চনত এই সংখ্যা বৃদ্ধি হয়গৈ ৬৩,৫৭৬। তাতোকৈ ডাঙৰ কথা অসমত এতিয়া এনে এটা ৰাজনৈতিক বা অৰ্থনৈতিক বাতাবৰণ সৃষ্টি হোৱা নাই যাৰ ফলত নিবনুৱাৰ এই আতঙ্কজনক সংখ্যা বৃদ্ধিত বাধা দিব পৰাৰ কিবা সম্ভাৱনা আছে। অৱস্থা এইদৰেই চলি থাকিবলৈ হ'লে আৰু ৫/৬ বছৰৰ ভিতৰতে কেৱল শিক্ষিত নিবনুৱাৰ সংখ্যাই এক লাখৰ সীমা অতিক্ৰম কৰি যাবগৈ; তাৰ পৰিণাম কি হ'ব এই কথা কেৱল কল্পনাহে কৰিব পাৰি।

অতি দুৰ্ভাগ্যৰ কথা যে নিবনুৱা সমস্যা সমাধান কৰিবলৈ অসম চৰকাৰে আজি পৰ্য্যন্ত কোনো এটা কাৰ্য্যকৰী আৰু বলিষ্ঠ নীতি গ্ৰহণ কৰিব নোৱাৰিলে। শিক্ষিত নিবনুৱাৰ কৰ্ম-সংস্থানৰ কাৰণে দুটাই মাত্ৰ পথ

খোলা আছে : হয় তেওঁলোকক কৃষি-বাণিজ্য-উদ্যোগ আদি ক্ষেত্ৰত স্বাৱলম্বী হ'বলৈ সকলো সুবিধা আগবঢ়াব লাগিব অথবা চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডতে তেওঁলোকৰ কাৰণে চাকৰিৰ দিহা কৰিব লাগিব। প্ৰথমটো উপায় সময়-সাপেক্ষ; দ্বিতীয়টো উপায়ৰ দ্বাৰা আংশিকভাৱে হ'লেও শিক্ষিত নিবনুৱাৰ সংখ্যা ততাতৈয়াকৈ কিছু পৰিমাণে সমাধান কৰিব পৰা যায়। দ্বিতীয়টো উপায়েৰে অসমৰ শিক্ষিত নিবনুৱা ডেকাক চাকৰি দিবলৈ দুটা ক্ষেত্ৰ খোলা আছে : অসমত প্ৰতিষ্ঠিত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগসমূহ আৰু অসমত থকা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগসমূহ। কিন্তু এই দুয়োটা ক্ষেত্ৰতে অসমৰ কৰ্ম-প্ৰাৰ্থীক সু-পৰিকল্পিতভাৱে চাকৰিৰ পৰা বঞ্চিত কৰা হৈছে বুলি সহস্ৰবাৰ অভিযোগ উঠিছে; কেৱল অভিযোগ উঠাই নহয়; সেই অভিযোগ অখণ্ডনীয় তথ্য আৰু যুক্তি সহকাৰে প্ৰমাণিতও হৈ গৈছে; অথচ তাৰ প্ৰতিকাৰ কৰিবলৈ অসম চৰকাৰৰ তৰফৰপৰা দুই-এটা দুৰ্বল আবেদন আৰু নিবেদনৰ বাহিৰে আন কোনো চেষ্টা নাই।

সৌ সিদিনা মাত্ৰ পশ্চিম বঙ্গৰ মাৰ্ক্সবাদী কমিউনিষ্ট উপ-মুখ্যমন্ত্ৰী শ্ৰীজ্যোতি বসুৱে দাবী কৰিছে যে পশ্চিম বঙ্গত প্ৰতিষ্ঠিত ব্যক্তিগত ৰাজহুৱা উভয় খণ্ডৰ উদ্যোগতে শতকৰা ৯০ ভাগ চাকৰি বাঙালী কৰ্ম-প্ৰাৰ্থীক দিব লাগিব। কেৱল জ্যোতি বসু কিয়, পশ্চিম বঙ্গৰ যুক্ত-ফ্ৰণ্টৰ সমগ্ৰ কাৰ্য্যসূচী, নিৰ্বাচনী প্ৰচাৰ আৰু জনসাধাৰণৰ প্ৰতি কৰা আবেগিক আহ্বান বিশ্লেষণ কৰি চালে দেখা যায় যে যুক্ত-ফ্ৰণ্টৰ অভূতপূৰ্ব জনপ্ৰিয়তাৰ মূলতে আছে থলুৱা কৰ্ম-প্ৰাৰ্থীৰ প্ৰতি প্ৰচ্ছন্ন সহানুভূতি আৰু প্ৰতিশ্ৰুতি। ইয়াত দোষণীয় কিবা আছে বুলি ভাবিবলৈকো একো যুক্তি নাই। বস্তুত ; ভাৰতৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা কেইটামান বিশেষ অঞ্চল আৰু গোষ্ঠীৰ মাজত এনেভাৱে সীমাবদ্ধ যে অনগ্ৰসৰ আৰু শোষিত অঞ্চলবোৰৰ জনসাধাৰণে এনে এটা দাবীৰ ভেটিত দৃঢ়ভাৱে থিয় নিদিলে সেই অঞ্চলবোৰ চিৰকাল গোষ্ঠী বিশেষৰ উপনিৱেশ হৈ থাকিবলৈ বাধ্য হ'ব। বিহাৰ আৰু উৰিষ্যা আদি ৰাজ্যত কংগ্ৰেছী চৰকাৰৰ আমোলতেই থলুৱা কৰ্ম-প্ৰাৰ্থীৰ স্বাৰ্থ-ৰক্ষাৰ কাৰণে এনে এটা নীতি গ্ৰহণ কৰিছিল। অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা ভয়াবহ দ্ৰুতগতিৰে বৃদ্ধি পাব লাগিছে। কেন্দ্ৰীয় চৰকাৰৰ বিভাগ সমূহত আৰু ৰাজহুৱা-ব্যক্তিগত উভয় খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানবোৰত সুপৰিকল্পিত চক্ৰান্তৰ দ্বাৰা তেওঁলোকক ন্যায্যভাৱে প্ৰাপ্য চাকৰিৰপৰাও বঞ্চিত কৰা হৈছে। বহুত দিন ধৰি অসমৰ শিক্ষিত নিবনুৱাই চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰাতে ক্ষান্ত নাছিল; আজি কিছুদিনৰপৰা তেওঁলোকে পিকেটিং-ধৰ্মঘট-অনশন আদি কৰি নিজৰ ক্ষোভ আৰু হতাশা প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে; সেইবোৰো বিফল হ'লে ইয়াৰ পিচত খোজ কি হ'ব সি সহজে অনুমেয়। অসম চৰকাৰে কৰ্ম-সংস্থানৰ বিভিন্ন ক্ষেত্ৰত থকা অসমৰ প্ৰাৰ্থীৰ ন্যায্য প্ৰাপ্যখিনি ৰক্ষণাবেক্ষণ কৰিবলৈ অতি সোনকালে ব্যৱস্থা কৰক; পাঁচশ টকা বা তাতকৈ কম বেতনৰ চাকৰিত থলুৱা প্ৰাৰ্থীয়ে অগ্ৰাধিকাৰ পাব লাগে বুলি কেন্দ্ৰীয় চৰকাৰে যি নিৰ্দেশ জাৰি কৰিছে সেইটো যাতে যথাযথভাৱে পালন হয় তাৰ কাৰণে চোকা দৃষ্টি ৰাখক; অসমত প্ৰতিষ্ঠিত সকলো ব্যক্তিগত খণ্ডৰ উদ্যোগত শতকৰা ৭৫ জন কৰ্মচাৰী অসমৰ মানুহ হ'ব লাগিব বুলি চৰ্ত বান্ধি দিয়ক। যি চৰকাৰে সমাজৰ কৰ্মক্ষম ডেকাসকলৰ কৰ্ম-সংস্থানৰ দিহা কৰিব নোৱাৰে সেই চৰকাৰৰ ক্ষমতাত থাকিবলৈ কোনো অধিকাৰ নাই। ক্ৰমবৰ্ধমান নিবনুৱা সমস্যা সমাধান কৰাটোৱেই সম্প্ৰতি অসমৰ কাৰণে আটাইতকৈ ডাঙৰ সমস্যা আৰু শাসক দলৰ কাৰণে ভীষণ অগ্নি-পৰীক্ষা। অতি কম সময়ৰ ভিতৰতে এই সমস্যা সমাধান কৰিব নোৱাৰিলে আমাৰ সমাজ-ব্যৱস্থা সমূলি খান-বান হৈ যাব আৰু ব্যাপক হিংসাত্মক অশান্তিৰ সম্ভাৱনা হৈ পৰিব অপ্ৰতিৰোধ্য।

পঞ্চায়ত

অসম চৰকাৰে অলপতে পঞ্চায়তৰ কাৰ্য্য-পদ্ধতি পুনৰ পৰীক্ষা কৰি চাবলৈ এটা তদন্ত কমিটী গঠন কৰিবলৈ সিদ্ধান্ত লৈছে। এই সিদ্ধান্তৰ দ্বাৰা চৰকাৰে স্পষ্টভাৱেই স্বীকাৰ কৰিছে যে পঞ্চায়তৰ কাৰ্য্য-কলাপ সন্তোষজনক হোৱা নাই। ইয়াক উন্নত কৰিবলৈ আৰু যথেষ্ট স্থল আছে। পৃথিৱীৰ কোনো ব্যৱস্থাই কেতিয়াও নিজকে সম্পূৰ্ণ নিখুঁত বুলি দাবী কৰিব নোৱাৰে। মানুহৰ সম্পূৰ্ণতাৰ চেষ্টা আৰু সম্ভাৱনা অন্তহীন। কিন্তু অসম চৰকাৰৰ পঞ্চায়তক পুনৰ পৰীক্ষা কৰি চোৱাৰ এই সিদ্ধান্তই আমাক অবাক কৰি তুলিছে এই কাৰণেই যে এই সিদ্ধান্তৰ মাজত ৰাইজক প্ৰতাৰণা কৰাৰ আৰু নিজৰ দোষ সাৰিবৰ এটা অসৎ অভিসন্ধি লুকাই আছে। যোৱা কুৰি বছৰৰ ভিতৰত চৰকাৰে পঞ্চায়ত ব্যৱস্থাক কিমান বাৰ পৰীক্ষা কৰি চাইছে তাৰ সীমা-সংখ্যা নাই। যিবোৰ মানুহে পঞ্চায়তৰ আইন তৈয়াৰ কৰিছে, কৰ্ম-পদ্ধতি ৰচনা কৰিছে, আদৰ্শ ঠিক কৰি দিছে – সেই একেখিনি মানুহেই নিজৰ অজ্ঞতা আৰু ব্যৰ্থতা ঢাকিবৰ কাৰণে নানা অজুহাত বিচাৰি বিচাৰি বাৰে বাৰে অজস্ৰ টকা খৰচ কৰি পঞ্চায়তৰ কাৰ্য্য-কলাপ পৰীক্ষা কৰি আছে। কিন্তু আচৰিত কথা এয়ে যে ইয়াৰ আগৰ বিভিন্ন প্ৰকাৰৰ কমিটীয়ে পঞ্চায়ত ব্যৱস্থাৰ দোষ-ত্ৰুটি আঙুলিয়াই দি ইয়াৰ সংশোধনৰ কাৰণে যিমানবোৰ পৰামৰ্শ দাঙি ধৰিছিল, চৰকাৰে সেইবোৰ নীতিগতভাৱে গ্ৰহণ কৰিও আজিলৈকে তাৰ এটা পৰামৰ্শও কাৰ্য্যকৰী কৰা নাই। উদাহৰণস্বৰূপে, শ্ৰীমহীকান্ত দাসৰ নেতৃত্বত বিধান সভাৰ পঞ্চায়ত সম্পৰ্কীয় ঘৰুৱা কমিটীয়ে গোটেই অসম ভ্ৰমণ কৰি যিবোৰ পৰামৰ্শ দাঙি ধৰিছিল, সেইবোৰৰ কি ব্যৱস্থা কৰা হ'ল? প্ৰতিবছৰে চৰকাৰী উদ্যোগত আৰু বিৰাট পৰিমাণৰ চৰকাৰী ধন খৰচ কৰি অৰুণাচল, হাটিবৰ আদি ঠাইত ৰাজ্যিক পঞ্চায়ত সন্মিলন পাতি যিবোৰ পৰামৰ্শ গ্ৰহণ কৰা হৈছিল, সেইবোৰৰ কি ব্যৱস্থা কৰা হ'ল? চৰকাৰে নিজেই টোগ্‌লকী নীতি অনুসৰণ কৰি পঞ্চায়তৰ অঞ্চলবোৰ এবাৰ সৰু এবাৰ ডাঙৰ কৰিব লাগে বুলি যিবোৰ আঁচনি বহু টকা খৰচ কৰি প্ৰস্তুত কৰে, সেইবোৰৰ কি ব্যৱস্থা কৰা হ'ল? ৰাইজে শুনি আচৰিত হ'ব যে অসম চৰকাৰে হাজাৰ হাজাৰ টকা খৰচ কৰি আজিলৈকে শ শ পৰামৰ্শ প্ৰস্তুত কৰিছে আৰু সেইবোৰ নীতিগতভাৱে গ্ৰহণ কৰিও আজিলৈকে তাৰ এটা পৰামৰ্শও কাৰ্য্যকৰী নকৰি সকলো গাপ দি পেলাই থৈছে? তেনেস্থলত সেইবোৰ অগ্ৰহণীয় বুলি বাতিল নকৰাকৈ প্ৰায় সেই একেখিনি মানুহেই আজি পঞ্চায়তক সবল কৰি তুলিবলৈ নতুন কি ভেল্কি-বাজি সৃষ্টি কৰিব?

সঁচা কথা ক'বলৈ গ'লে পঞ্চায়তক উন্নত কৰিবৰ কাৰণে পৰামৰ্শৰ একো অভাৱ হোৱা নাই, অজস্ৰ পেলনীয়া কাগজৰ ৰূপত সেইবোৰ চৰকাৰী গুদামত দ'ম বান্ধি পৰি আছে; অভাৱ হৈছে কেৱল সেইবোৰ কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰৰ দৃঢ় ৰাজনৈতিক সংকল্প আৰু আন্তৰিকতাৰ আৰু লগতে প্ৰশাসনীয় দক্ষতা আৰু সততাৰ। যোৱা কুৰি বছৰে পঞ্চায়ত ব্যৱস্থাই গ্ৰামাঞ্চলত যিমান উন্নত আলি-পদূলি, পানী-যোগান ব্যৱস্থা আৰু অধিক শস্য সৃষ্টি কৰিছে, তাতোকৈ হাজাৰ গুণে বেছি সৃষ্টি কৰিছে পেলনীয়া ফটা কাকতৰ – যিবোৰ ফটা কাকত চিলঙৰ সচিবালয়ত বিভিন্ন কমিটীৰ পৰামৰ্শৰ ৰূপত, বিভিন্ন বিষয়াৰ পৰিদৰ্শন টোকাৰ ৰূপত, বিভিন্ন অডিটৰৰ প্ৰতিবেদনৰ ৰূপত স্তূপাকাৰ হৈ পৰি আছে। কোনো মন্ত্ৰী বা কোনো

দায়িত্বসম্পন্ন উচ্চ-পদস্থ বিষয়াই সেইবোৰত চকু ফুৰাই চাবলৈ ভ্ৰূক্ষেপ কৰা নাই। তাতোকৈ ডাঙৰ কথা, চৰকাৰে নিজ হাতে ৰচনা কৰা পঞ্চায়ত আইনখন সম্পূৰ্ণভাৱে কাৰ্য্যকৰী কৰাত নিজেই পদে পদে বাধা দি প্ৰায় জন্মৰ সময়ৰপৰাই পঞ্চায়ত ব্যৱস্থাক দুৰ্নীতিৰে পঙ্গু কৰি পেলাইছে। উদাহৰণ স্বৰূপে, পঞ্চায়ত আইনত বিধান আছে যে কোনো গাঁও পঞ্চায়তৰ সভাপতিয়ে যদি বছৰেকত অন্ততঃ এবাৰ গাঁওসভাৰ অধিবেশন নাপাতে, তেন্তে তেনে লোকক গাঁওসভাৰ সভাপতিৰ পদৰপৰা অপসাৰিত কৰিব লাগে। ই এটা অতি গুৰুত্বপূৰ্ণ নিয়ম, কাৰণ গাঁওসভাৰ সভাপতিয়ে যদি অধিবেশন নাপাতি নিজৰ ইচ্ছা মতেই সকলো কাম কৰি যায়, তেন্তে অতি নিম্নস্তৰৰ দুৰ্নীতি কৱলিত আমোলা-তন্ত্ৰৰ লগত পঞ্চায়তৰ একো পাৰ্থক্য নাথাকে, আৰু পঞ্চায়তৰ মূল গণতান্ত্ৰিক উদ্দেশ্যই সমূলি ব্যৰ্থ হৈ যায়। ১৯৬৬ চনৰ মাজ ভাগতে অসম চৰকাৰে কোনো এম-এল-এৰ প্ৰশ্নবাণত অতিষ্ঠ হৈ এনে কৰ্তব্য-বিমুখ পঞ্চায়ত সভাপতিৰ এখন তালিকা প্ৰস্তুত কৰে; সেই তালিকাৰপৰা দেখা গ'ল যে গোটেই অসমতে এনে বহুতো পঞ্চায়ত সভাপতি আছে যিসকলে মাত্ৰ এবছৰ নহয় – দুবছৰ তিনিবছৰ পৰ্য্যন্ত পঞ্চায়তৰ এখনো সভা পতা নাই, যিসকলে পঞ্চায়ত আইনৰ প্ৰতি বৃদ্ধাঙ্গুষ্ঠ প্ৰদৰ্শন কৰি নিৰ্বিবাদে ৰাজ-পাট খাই বহি আছে। কিন্তু অতি আচৰিত আৰু অবিশ্বাস্য কথা যে বহুতো উপায়ুক্তই এনেবোৰ দায়িত্বহীন পঞ্চায়ত সভাপতিৰ বিৰুদ্ধে আইনৰ বিধি অনুসৰি শাস্তিমূলক ব্যৱস্থা লবলৈ চৰকাৰক পৰামৰ্শ দিয়া সত্বেও চৰকাৰে সেইবোৰ লোকক সভাপতি পদৰপৰা অপসাৰণ কৰা দূৰৰ কথা, কাৰো বিৰুদ্ধে এটা সতৰ্কবাণী পৰ্য্যন্ত নুশুনালে। কাৰণ – এইবোৰ তালিকা আৰু প্ৰতিবে চৰকাৰে উমনি দি থাকে মানে ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচন আহি পলে; আৰু নিৰ্বাচনৰ ঠিক আগে আগে গাঁও পঞ্চায়তৰ সভাপতিক জোকাই লয়, এনে মূৰ্খামী পৃথিৱীত আন কোনোবাই কৰিলেও অসম চৰকাৰে নিশ্চয় নকৰে। দ্বিতীয়তে, যোৱা কুৰি বছৰৰ অভিজ্ঞতা আৰু পৰামৰ্শাৱলী যদি চৰকাৰে ইতিমধ্যে পেলনীয়া কাকতৰ খৰাহীত পেলাই দিছে, আৰু এখন নতুন তদন্ত কমিটী যদি নহ'লেই নহয়, তেন্তে সেই কমিটী যেন কেতিয়াও কেৱল চৰকাৰী বিষয়া আৰু এম-এল-এৰ দ্বাৰা গঠন কৰা নহয় – যি সকলৰ ভূমিকা হ'ব – "বুঢ়ীৰ কামনো কি, ধানত চাউল পেলাই বাছে।" এই কমিটী গঠন কৰা উচিত গাঁৱলীয়া সমাজৰ প্ৰতিনিধি, অভিজ্ঞ সমাজ-কৰ্মী আৰু পঞ্চায়তৰ লগত ওতপ্ৰোতভাৱে জড়িত আৰু লগতে সৎ আৰু সুদক্ষ বুলি প্ৰমাণিত হোৱা লোকসকলৰ দ্বাৰা – যিসকল লোকে গাঁৱৰ নাড়ী-নক্ষত্ৰ আৰু আবেগ-অনুভূতি ভালকৈ জানে। চিলঙৰ শৈল-শিখৰত বহি যিসকল 'দেশী চাহাব' বিষয়াই কোট্-নেক্‌টাই পিন্ধি গাঁৱৰ সমাজৰ উদ্ধাৰৰ কাৰণে আঁচনি প্ৰণয়ন কৰে আৰু মাজে মাজে ফটোৱা জাৰি কৰে, তেওঁলোকৰ স্পৰ্দ্ধা অসহ্য, তেওঁলোকৰ অজ্ঞতা অক্ষমণীয়।

অসমৰ ঔদ্যোগীকৰণ

আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত অসম কেৱল পিচ পৰি থকাই নহয়, এই ৰাজ্যক পিচ পেলাই ৰাখিবলৈ যোৱা কুৰি বছৰ ধৰি এটা সু-পৰিকল্পিত ষড়যন্ত্ৰ চলাই অহা হৈছে। চৰকাৰী হিচাবতে এতিয়া এই কথা স্পষ্টভাৱে ওলাই পৰিছে যে যোৱা তিনিটা পৰিকল্পনাত সমগ্ৰ দেশৰ ঔদ্যোগীকৰণৰ কাৰণে কেন্দ্ৰীয় খণ্ডত সৰ্বমুঠ যিমান টকা খৰচ কৰা হ'ল তাৰ মাত্ৰ শতকৰা ১.২ ভাগহে খৰচ কৰা হ'ল অসমৰ কাৰণে। অথচ অসমতেই বেছি টকা খৰচ কৰাৰ প্ৰয়োজন আছিল সৰ্বাধিক, কাৰণ এই কথা সৰ্বজন স্বীকৃত সত্য যে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে অসম ৰাজ্য শিল্প-বাণিজ্যৰ ক্ষেত্ৰত আগৰেপৰাই বহুত পিচপৰা। অসমৰ ভাগ্যনিয়ন্তা মন্ত্ৰী আৰু নেতাসকলে কেন্দ্ৰীয় চৰকাৰৰপৰা কিয় প্ৰাপ্য সুবিচাৰ আদায় কৰিব নোৱাৰিলে তাৰ কৈফিয়ৎ তেওঁলোকে অসমৰ ৰাইজক এদিন দিব লাগিব আৰু সেই দিনটো বেছি দূৰত নাই।

অতীতত অসমৰ প্ৰতি যি অবিচাৰ কৰা হ'ল অন্ততঃ এতিয়া তাৰ সংশোধনী কৰা হ'ব বুলি আমি বৰকৈ আশা কৰিছিলোঁ। দীৰ্ঘ দিনৰ কলা-ঘুমতিৰ অন্তত অসমৰ মানুহ আজি সাৰ পাই উঠিছে, তেওঁলোকে অন্ততঃ এই কথা ভালকৈ উপলব্ধি কৰিছে যে তেওঁলোকৰ অজ্ঞতা আৰু নিষ্ক্ৰিয়তাৰ সুযোগ লৈ ভাৰত চৰকাৰে অসমৰ মানুহক নিৰ্মমভাৱে প্ৰতাৰণা কৰিছে। আজি সমগ্ৰ অসম অসন্তোষৰ এটা আগ্নেয়গিৰিত পৰিণত হৈছে। এনে অৱস্থাত ভাৰত চৰকাৰৰ পক্ষে সু-বুদ্ধিৰ পৰিচয় দিবলৈ একমাত্ৰ উপায় হ'ল অসমৰ দ্ৰুত উন্নয়নৰ ব্যৱস্থা কৰা আৰু অতীতত অসমৰ প্ৰতি কৰি অহা অন্যায়ৰ ক্ষতি-পূৰণ দিয়া। কিন্তু এতিয়া দেখা গৈছে — ঔদ্যোগীকৰণৰ ক্ষেত্ৰত অসমৰ অতীত যিমান অন্ধকাৰ আছিল, ভৱিষ্যত তাতকৈয়ো বহুগুণে বেছি হতাশাজনক। চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত অসমৰ কাৰণে যি সৰ্বমুঠ ২২৫.৫ কোটি টকা ধাৰ্য্য কৰা হৈছে, তাৰ ভিতৰত উদ্যোগৰ কাৰণে ধৰা হৈছে মাত্ৰ ১১.৫ কোটি টকা। ইয়াৰ ভিতৰৰে আকৌ ৬ কোটি টকা খৰচ হ'ব ইতিমধ্যেই চেৰাপুঞ্জিত প্ৰতিষ্ঠিত বিলাতী মাটিৰ কাৰখানাৰ সম্প্ৰসাৰণ কৰোঁতেই — যি কাৰখানা মাত্ৰ আৰু এবছৰৰ ভিতৰতে সুকীয়া পাহাৰীয়া ৰাজ্যৰ সম্পত্তি হ'ব। আৰু ২ কোটি টকা খৰচ হ'ব আসাম গেছ কোম্পানীৰ কাৰণে পাইপ লাইন বহুওৱাত। তাৰ অৰ্থ হ'ল এয়ে যে গোটেই চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত অসমৰ ঔদ্যোগীকৰণৰ কাৰণে অসম চৰকাৰৰ হাতত থাকিব মাত্ৰ ৩.৫ কোটি টকা — যিখিনি টকা এপাচি শাকত এটা জালুক বুলি ক'লেও বঢ়াই কোৱাহে হয়।

অসমৰ সকলো মানুহেই এই কথাখিনিৰ প্ৰকৃত তাৎপৰ্য্য আৰু তাৰ অন্তৰ্নিহিত সম্ভাৱনাখিনি উপলব্ধি কৰিবলৈ চেষ্টা কৰা উচিত। যোৱা তিনিটা পৰিকল্পনাত অসমৰ ঔদ্যোগীকৰণ বিশেষ একো নহ'ল : যি যৎসামান্য হ'ল তাৰ ফলত থলুৱা লোকৰ উল্লেখযোগ্য একো উপকাৰ নহ'ল। অসমৰ চতুৰ্থ পৰিকল্পনাৰ আৰম্ভ হৈছে সাত লাখ নিবনুৱা লোকেৰে, চতুৰ্থ পৰিকল্পনাৰ অন্তত এনে কৰ্ম-প্ৰাৰ্থীৰ সংখ্যা তেৰ লাখলৈ বৃদ্ধি পাব। এই তেৰ লাখ মানুহক এদিন নহয় এদিন উদ্যোগ আৰু ব্যৱসায়-বাণিজ্যই সামৰি ল'বই লাগিব, কাৰণ খেতি-পথাৰলৈ যাবলৈ তেওঁলোকৰ কোনো উপায় নাই। খেতিৰ মাটিৰ কাৰণে ইতিমধ্যে যি কুৰুক্ষেত্ৰ-যুদ্ধ আৰম্ভ হৈছে তাৰ অন্তিম পৰিণাম এতিয়াও ভৱিষ্যতৰ গৰ্ভত। তেন্তে এই বিষয়ে কোনো

দ্বিমত থাকিব নোৱাৰে যে অসমৰ ক্ৰমবৰ্দ্ধমান নিবনুৱা লোকসকলৰ কৰ্ম-সংস্থানৰ দিহা কৰিবৰ কাৰণে দ্ৰুততম গতিৰে ঔদ্যোগীকৰণ কৰাৰ বাহিৰে অসমৰ গত্যন্তৰ নাই; কিন্তু মাত্ৰ ৩.৫ কোটি সম্বল কৰি লৈ অহা পাঁচ বছৰত অসমে ঔদ্যোগীকৰণৰ নামত কি ভুচুং পছটো কৰিব বুলি আশা কৰিব পাৰি?

উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই ঘাইকৈ দুটা উপায়েৰে এই সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিছে। প্ৰথমতে তেওঁ চতুৰ্থ পঞ্চবাৰ্ষিকী পৰিকল্পনাত অসমৰ ঔদ্যোগীকৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰপৰা পোনে পোনে ১০০ কোটি টকা দাবী কৰিছে, দ্বিতীয়তে বাহিৰৰ উদ্যোগ-পতিসকলক অসমত মূলধন বিনিয়োগ কৰিবলৈ উৎসাহ দিবৰ কাৰণে তেওঁ অসমৰ কাৰণে কিছুমান বিশেষ সুবিধা দাবী কৰিছে। এইখিনিতে উল্লেখ কৰা দৰকাৰ যে ৰাজহুৱা খণ্ডত উদ্যোগ প্ৰতিষ্ঠাৰ কাৰণে চতুৰ্থ পঞ্চবাৰ্ষিকী পৰিকল্পনাত সৰ্বমুঠ ৩,০০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। তাৰপৰা মাত্ৰ ১০০ কোটি টকা দাবী কৰি অসমৰ উদ্যোগ মন্ত্ৰীয়ে একো অন্যায়-আব্দাৰ ধৰা নাই। এই ১০০ কোটি টকা পালে তেওঁ চতুৰ্থ পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ কাৰ্য্যকালৰ ভিতৰতে অসমত এটা দ্বিতীয় তেল শোধনাগাৰ, এটা পেট্ৰ'কেমিকেল শিল্প-চক্ৰ, এটা কাকত আৰু মণ্ড কাৰখানা, আৰু এটা বিলাতী মাটিৰ কাৰখানা, এটা মৰাপাট আৰু দুটা চেনিকল স্থাপন কৰিব পাৰিব বুলি আশা কৰে। কিন্তু ভাৰত চৰকাৰৰ যেনেহে মতি-গতি, শ্ৰীশৰ্মাৰ এই ওকালতি অৰণ্য-ৰোদনৰ বাহিৰে আন একোৱেই নহ'ব বুলি আমাৰ ভয় হয়। কিন্তু ভাৰত চৰকাৰক সতৰ্ক কৰি দিব খোজোঁ যে সৰ্বতোভাৱে অসমৰ প্ৰাপ্য এই ১০০ কোটি টকা দি অসমৰ দ্ৰুত ঔদ্যোগীকৰণত সহায় নকৰিলে এই সীমান্তবৰ্তী ৰাজ্যত অসন্তোষৰ যি দাবানল জ্বলি উঠিব, তাক নুমোৱাবলৈ তেনেকুৱা আৰু বহু এশ কোটি টকাৰ প্ৰয়োজন হ'ব। এনে অভিজ্ঞতাৰ লগত ভাৰত চৰকাৰ নিশ্চয় একেবাৰে অপৰিচিত নহয়।

এই প্ৰসঙ্গতে আমি অসম চৰকাৰলৈকো এটা পৰামৰ্শ আগবঢ়াব খুজিছোঁ। আমি বিচৰা মতেই ভাৰত চৰকাৰে যে মোনাৰপৰা এশ কোটি ততালিকে উলিয়াই দিব তাৰ কোনো আশা নাই। তাৰ কাৰণে আমি বহুতো যুঁজ-বাগৰ কৰিব লাগিব। ব্যক্তিগত খণ্ডৰ উদ্যোগতো থলুৱা লোকৰ নিয়োগৰ সম্ভাৱনা সম্পৰ্কে আমি সন্দিহান। কিন্তু সমবায় ভিত্তিত বহুতো সৰু আৰু মজলীয়া উদ্যোগ গঢ়ি তুলিব পৰাৰ সম্ভাৱনা অসমত আছে। কিন্তু সমবায় ভিত্তিত উদ্যোগ সংগঠন আৰু স্থাপন কৰাৰ ডাঙৰ অসুবিধা হ'ল এয়েই যে বৰ্তমানৰ প্ৰচলিত ব্যৱস্থাত সমবায় দপ্তৰটো উদ্যোগ মন্ত্ৰীজনাৰ হাতত নাই। বৰ্তমান কৃষিও লাহে লাহে উদ্যোগমুখী হৈ আহিছে আৰু সমবায় দপ্তৰটো কৃষি মন্ত্ৰীৰ হাতৰপৰা আনি উদ্যোগ মন্ত্ৰীৰ অধীনত দিলে সি কৃষিৰ পক্ষে সহায়ক হোৱাৰ উপৰিও ঔদ্যোগীকৰণৰ ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰিব বুলি আশা কৰিব পাৰি।

সাপ্তাহিক নীলাচল, ৩৭ সংখ্যা ঃ ১৮ জুন, ১৯৬৯ চন

থলুৱা আৰু সৰ্বভাৰতীয়

মাত্ৰ কেইদিনমানৰ আগতে এটা চৰকাৰী সমীক্ষাত প্ৰকাশ পাইছিল যে যোৱা ৫ বছৰ মানৰ ভিতৰতে অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা আগতকৈ শতকৰা ১০০ গুণ বৃদ্ধি পাইছে। ঠিক প্ৰায় একে সুময়তে ভাৰত চৰকাৰৰ শ্ৰম মন্ত্ৰণালয়ৰ এটা সমীক্ষাত প্ৰকাশ পাইছে যে যিবোৰ ৰাজ্যত কৰ্ম-সংস্থাপনৰ পৰিসৰ দ্ৰুতগতিৰে সংকুচিত হৈ যাব ধৰিছে সেইবোৰৰ ভিতৰত অসম অন্যতম। অৰ্থাৎ একে আষাৰে ক'বলৈ গ'লে অসমত নিবনুৱা ডেকাৰ সংখ্যা যিমানেই বাঢ়ি আহিছে, চাকৰিৰ সংখ্যা সিমানেই কমি আহিছে। ইয়াৰ পৰিণাম কি হ'ব পাৰে সেই কথা কাকো বহলাই বুজাই কোৱাৰ প্ৰয়োজন নিশ্চয় নাই। (২৮ মে'ৰ সাপ্তাহিক নীলাচলৰ সম্পাদকীয় দ্ৰষ্টব্য)।

ঠিক এনে এটা পটভূমিত অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী আৰু বৰ্তমান অইল ইণ্ডিয়াৰ চেয়াৰমেন দেৱকান্ত বৰুৱাই থলুৱা লোকৰ যি নতুন ব্যাখ্যা দিছে আৰু কেন্দ্ৰীয় সেবাসমূহত নিয়োগৰ ক্ষেত্ৰত সৰ্বভাৰতীয় দৃষ্টিভংগী গ্ৰহণ কৰাৰ সপক্ষে ওকালতি কৰিছে, সি বহুতো অন্যায়-অবিচাৰৰ 'অসহায় বলি নিবনুৱা' অসমীয়া ডেকাৰ পক্ষে কটা ঘাত চেঙা তেলৰ বাহিৰে আন একো নহয় বুলি আমাৰ মনত ধাৰণা হৈছে। শ্ৰীবৰুৱাৰ উক্তি খৰচি মাৰি বিশ্লেষণ কৰি চাই তাৰ কু-যুক্তি আৰু অন্তঃসাৰশূন্যতাখিনি উদঙাই দিয়াৰ প্ৰয়োজন আছে, কাৰণ তাকে নকৰিলে সি অসমৰ স্বাৰ্থ ক্ষতিগ্ৰস্ত কৰাৰ সম্পূৰ্ণ আশঙ্কা আছে। অসমৰ এনেবোৰ সৰ্বভাৰতীয় নেতাৰ অদ্ভুত দায়িত্ব-জ্ঞান আৰু অসংযত উক্তিৰ ফলতেই যে অসমৰ আজি এনে অৱস্থা হৈছে এই বিষয়ে কাৰো মনত কোনো সন্দেহ থকা উচিত নহয়।

দেৱকান্ত বৰুৱাই ঘাইকৈ দুটা কথা কৈছে। অসমত প্ৰতিষ্ঠিত চৰকাৰী উদ্যোগসমূহত থলুৱা প্ৰাৰ্থীয়ে চাকৰি পাব লাগে বুলি যি দাবী উঠিছে সেই সন্দৰ্ভত তেওঁ কৈছে যে থলুৱা অসমীয়া বোলোতে কেৱল অসমীয়া লোককে বুজা উচিত নহ'ব। অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত থকা সকলো লোক ইয়াৰ ভিতৰত পৰিব লাগিব। দ্বিতীয়তে চৰকাৰী খণ্ডৰ উদ্যোগবোৰত থলুৱা লোকৰ নিযুক্তিৰ প্ৰসঙ্গত তেওঁ কয় যে এই ক্ষেত্ৰত সৰ্বভাৰতীয় দৃষ্টিভংগী লোৱা দৰকাৰ আৰু তাকে নকৰিলে লাভৰ সলনি ক্ষতিহে স্বীকাৰ কৰিব লাগিব। বাতৰি কাকতে শ্ৰীবৰুৱাৰ যুক্তি যদি নিৰ্ভুলভাৱে উদ্ধৃত কৰিছে, তেন্তে ক'ব লাগিব যে তেওঁৰ থলুৱা লোকৰ নতুন সংজ্ঞা সম্পূৰ্ণৰূপে উদ্ভট আৰু অযুক্তিকৰ। অসমীয়া বুলিলে যদি কেৱল অসমীয়াভাষী লোককহে বুজোৱা হয়, তেন্তে আমিও শ্ৰীবৰুৱাৰ লগত সম্পূৰ্ণ একমত হৈ ক'ব খোজোঁ যে কেৱল অসমীয়াখিনিয়ে অসমৰ একমাত্ৰ থলুৱা লোক হ'ব নোৱাৰে। অসমীয়া যিসকল লোকৰ মাতৃভাষা, সেই বৰুৱা, ফুকন-কলিতা, পেগু-কৰ্মকাৰ আদি লোকসকল যিমান থলুৱা কাছাৰৰ বাঙালীসকলো সিমান থলুৱা, ত্ৰিশ-চল্লিশ বছৰৰ আগতে অসমলৈ আহি নিগাজীকৈ বসতি কৰা কাচেম আলী, দেৱানী-বৰকৎ আলি মুন্সী আদি মৈমনসিঙীয়া সকলো সিমান থলুৱা, ব্ৰহ্মপুত্ৰ উপত্যকাত পুৰুষানুক্ৰমে বাস কৰা বাঙালী, বিহাৰী, নেপালী, ৰাজস্থানী আদি লোকসকলো সিমানেই থলুৱা। (এই বিহাৰী, ৰাজস্থানীসকলৰ ভিতৰত বহুতে চাকৰি-বাকৰি বা ব্যৱসায়-বাণিজ্যত সুবিধা ল'বৰ সময়ত নিজকে থলুৱা বুলি জাহিৰ কৰে যদিও তেওঁলোকৰ বেছিভাগৰে ভেলটোহে অসমত, চিৎটো সদায় 'নিজৰ দেশত'; চীন বা পাকিস্তানে অসম আক্ৰমণ কৰিলেই তেওঁলোকে মুহূৰ্ততে নিজৰ 'থল' পৰিত্যাগ কৰি দেশলৈ তৰা-নবা ছিঙি ঢাপলি মেলিবলৈ সংকোচ নকৰে বা কোনোবাই অসমৰ মন্ত্ৰীপদ লৈয়ো লক্ষ্ণৌ বা দিল্লীকহে নিজৰ আপোন ঘৰ বুলি গণ্য

কৰে।) যি হওক, এই সকলো লোকেই প্ৰকৃততে অসমৰ থলুৱা লোক আৰু সেই অৰ্থত অসমৰ চাৰিসীমাৰ ভিতৰত বসবাস কৰা সকলো লোকেই চাকৰি-বাকৰি বা ব্যৱসায়-বাণিজ্যত অগ্ৰাধিকাৰ পোৱা উচিত। কিন্তু লগতে আমি এই কথাও মনত ৰাখিব লাগিব যে ১৯৫১ চনত গুৱাহাটী নগৰীৰ জনসংখ্যা ৪৩,৬১৫ জন; ১৯৬১ চনত সি হ'লগৈ ১,০০,৭০৭ জন। গোটেই অসমতে ঠিক সেই অনুপাতে জনসংখ্যা বাঢ়িছে। ১৯৩১ চনতে মুলান্ চাহাবে বেলেগ এটা প্ৰসংগত লিখিছিল : Wheresoever the carcass there will the vultures be gathered together. Without fuss, without tumult, without undue trouble to the district revenue staff, a population which must amount to over half a million has transplated itself to Assam...... The only thing I can compare it to is the mass movement of a large body of ants. (১৯৩১ চনৰ চেন্‌চাচ ৰিপোৰ্ট, ৫১ পৃষ্ঠা)। .... যোৱা ১০/১৫ বছৰৰ ভিতৰতে পঙ্গপালৰ দৰে অসম গ্ৰাস কৰি পেলোৱা এই বহিৰাগত সকলকো থলুৱা লোক বুলি ধৰি লৈ আমি তেওঁলোকক আমাৰ মুখৰ ভাত এৰি দিব লাগিব নেকি? ফৰিদাবাদ বা মুৰাদাবাদৰ কোনোবা ভদ্ৰলোকে মাত্ৰ যোৱাকালি ভাগ্যৰ সন্ধানত অসমলৈ আহি গুৱাহাটীত ভাৰাঘৰ এটা কৰি লৈ থাকি চাকৰি বা ঔদ্যোগিক লাইচেন্সৰ কাৰণে কৰা দৰখাস্তত ঘৰৰ ঠিকনা পোঃ গুৱাহাটী বুলি লিখি দিলেই তেওঁ একে ৰাতিয়েই থলুৱা হৈ পৰিব নেকি? শ্ৰীদেৱকান্ত বৰুৱাৰ সংজ্ঞা মানিব ল'বলৈ হ'লে অসমৰ চাৰিসীমাৰ ভিতৰত বাস কৰাৰ কাৰণে তেওঁকো থলুৱা বুলি ধৰি লব লাগিব। কিন্তু আমি সেইটো কেতিয়াও ধৰি লব নোৱাৰোঁ। গতিকে থলুৱা লোকৰ যুক্তিযুক্ত নতুন সংজ্ঞা নিৰূপিত হোৱা দৰকাৰ আৰু সেইটো কৰাৰ একমাত্ৰ চৰ্ত হ'ল এয়ে যে যিসকল লোকে অসমত স্থায়ীভাৱে বসবাস কৰিম বুলি মাটি-ঘৰ কৰিছে কেৱল তেওঁলোকেহে থলুৱা বুলি পৰিগণিত হ'ব পাৰিব। যি কোনো চাকৰি বা ব্যৱসায়ৰ আবেদনৰ লগত স্থায়ী ঘৰ-মাটিৰ ঠিকনা দিলেহে তেওঁলোকে নিজকে থলুৱা বুলি অধিকাৰ অৰ্জন কৰিব।

চৰকাৰী খণ্ডৰ উদ্যোগত নিয়োগৰ ক্ষেত্ৰত শ্ৰীবৰুৱাই যি সৰ্বভাৰতীয় দৃষ্টিভংগী গ্ৰহণ কৰাৰ কথা কৈছে সিও সম্পূৰ্ণ বিভ্ৰান্তিকৰ। প্ৰথমতে থলুৱা ডেকাসকলৰ ঘাই আপত্তি এয়ে যে বাহিৰৰপৰা কেৱল যোগ্য লোক সকলকেই অনা হোৱা নাই। ব্যক্তিগত প্ৰভাৱ খটুৱাই বহুতো অযোগ্য লোককো যোগ্য অসমীয়া ডেকাক বঞ্চিত কৰি ইয়াত চাকৰি দিয়া হৈছে। তেওঁলোকৰ হৈ কান্দিবলৈ ইয়াতেই শ্ৰীবাজুৰ, আয়েঙ্গাৰ আৰু মালহোত্ৰা আদি লোকসকল আছে; কিন্তু শ্ৰীদেৱকান্ত বৰুৱাৰ দৰে লোকে অসমৰ লাখ লাখ নিবনুৱা ডেকাৰ কাৰণে একো এটা কাম কৰিব দিব পৰা নাই, তেওঁলোকেও আজি যোশী-আগৰৱালা-সুব্ৰহ্মণ্যম আদিৰ কাৰণেহে ওকালতি কৰিবলৈ আৰম্ভ কৰিছে। আমি আশা কৰিছোঁ যে অসমৰ ডেকা সমাজে উপযুক্ত সময়ত শ্ৰীদেৱকান্ত বৰুৱাৰ দৰে লোকসকলৰপৰা ইয়াৰ কৈফিয়ৎ নিশ্চয় দাবী কৰিব। দ্বিতীয়তে, অসমীয়া ডেকাসকলে যদি অভিজ্ঞতা আহৰণ কৰিবলৈ বা যোগ্যতা প্ৰমাণ কৰিবলৈ কোনো সুবিধাই নাপায়, তেন্তে তেওঁলোকে সৰ্বভাৰতীয় ক্ষেত্ৰত প্ৰতিযোগিতা কৰিব কাৰ মুখটোৰে? পঞ্জাৱ বা বিহাৰৰ ডেকাই সেই সেই চৰকাৰৰ সৌজন্যত ভাক্ৰা-নাঙ্গল বা বাৰাউনীত অভিজ্ঞতা অৰ্জন কৰি অসমলৈ আহি অসমৰ ল'ৰাৰ মুৰ খায়; কিন্তু অসমৰ ল'ৰাই যদি অসমৰ নেতাকেই পৰিচালিত নামৰূপত বা ভুলিয়াজানত মুৰ গুজিবলৈ সুবিধা নাপায় তেন্তে তেওঁ অভিজ্ঞতা আহৰণ কৰিব ক'ত? প্ৰতিযোগিতা কৰিব কেনেকৈ?

শ্ৰীশ্ৰীমান প্ৰফুল্ল গোস্বামীৰ উক্তি ইমান 'নেইভ (Naive)' যে সেই বিষয়ে আলোচনা কৰাটো আমি আমাৰ সময়ৰ আৰু কাকতৰ ঠাইৰ অপচয় বুলিহে ভাবোঁ।

শ্ৰীদেৱকান্ত বৰুৱা আৰু তেওঁৰ সগোত্ৰসকল সৰ্বভাৰতীয় হওক – আমাৰ আপত্তি নাই। কিন্তু অসমৰ ডেকাসকলৰ প্ৰতিও তেওঁলোকৰ এটা কৰ্তব্য আছে। সেই কৰ্তব্য তেওঁলোকে পালন কৰিছেনে?

সাপ্তাহিক নীলাচল, ৩৯ সংখ্যা : ২ জুলাই, ১৯৬৯ চন

জুইৰ লগত খেমালি

এইবাৰ প্ৰবেশিকা পৰীক্ষাত মুঠ ৭১,৯৯৫ জন পৰীক্ষাৰ্থীৰ ভিতৰত পাছ কৰিছে মাত্ৰ ২০,৩৯৪ জনে, অৰ্থাৎ শতকৰা হিচাবত মাত্ৰ ৩৬.৮ জনে। বাকী ৫০,৫৬১ জন কিশোৰে ব্যৰ্থতাৰ কলঙ্ক কপালত আঁকি লৈ কেৱল নিজৰ জীৱনকে অভিশপ্ত কৰি তোলা নাই, তাৰ লগে লগে হাজাৰ হাজাৰ দৰিদ্ৰ হৃত-সৰ্বস্ব অভিভাৱকৰ সংসাৰলৈ নমাই আনিছে দুচিন্তাৰ কৰাল ছায়া, সমাজলৈ নমাই আনিছে ব্যাপক অশান্তি আৰু অনিশ্চয়তাৰ সম্ভাবনা।

যি ২০,৩৯৪ জন ছাত্ৰই পাছ কৰিলে, তেওঁলোকৰেইবা ভবিষ্যৎ কি? খুব বেছি ৫০০০ ছাত্ৰই সু-শিক্ষাৰ নিম্নতম ব্যৱস্থা থকা কলেজবোৰত স্থান পাব, বাকী ৫০০০ জনে কলেজৰ নামত চাৰিওফালে কাঠ-ফুলাৰ দৰে গজি উঠা তথাকথিত শিক্ষানুষ্ঠানবোৰত নাম ভৰ্তি কৰি কেইদিনমানৰ কাৰণে লাভ কৰিব কলেজীয়া ছাত্ৰ হোৱাৰ আত্ম-প্ৰসাদ বা কৰুণ সান্ত্বনাখিনি। বাকী ১০০০০ কিশোৰৰ একমাত্ৰ গতি হ'ব বিনিয়োগ বিনিময় কেন্দ্ৰবোৰ, য'ত বেকাৰৰ খাটাত নাম লিখাই এই হাজাৰ হাজাৰ ল'ৰাই নিষ্ফল প্ৰতীক্ষাত যৌৱনৰ শ্ৰেষ্ঠতম দিনবোৰ অপচয় কৰি অৱশেষত এদিন সমূলি ভাগি পৰিব আৰু সমাজৰ আবৰ্জনাত পৰিণত হ'ব।

আটাইতকৈ বেছি চিন্তা কৰিবলগীয়া হৈছে প্ৰাইভেট্ পৰীক্ষাৰ্থীবোৰক লৈ। কেই বছৰমানৰ আগতে এনে পৰীক্ষাৰ্থীৰ সংখ্যা আছিল প্ৰায় ৩৬,০০০ জন, যোৱা বছৰ এই সংখ্যা বাঢ়ি গৈ ৪৪,০০০ হয়, এই বছৰ ৫১,৫৮০ জন। এই ৫১,৫৮০ জনৰ ভিতৰত এইবাৰ পাছ কৰিছে মাত্ৰ ৯৯৬১ জনে; তাৰমানে মুঠ অকৃতকাৰ্য্যতা হোৱা ৫০৫৬১ জন ছাত্ৰৰ ভিতৰত ৪১৫৮৯ জনেই প্ৰাইভেট্ পৰীক্ষাৰ্থী। এই গতিৰে বাঢ়ি থাকিলে অহা কেইবছৰমানৰ ভিতৰতে কেৱল প্ৰাইভেট্ পৰীক্ষাৰ্থীৰ সংখ্যাই এক লাখৰ সীমা অতিক্ৰম কৰি যাব, আৰু কোৱা বাহুল্য মাথোন যে সেইসকলৰ ভিতৰত এনে হাজাৰ হাজাৰ ছাত্ৰ আছে বা থাকিব যিসকলে জীৱনত আন একো কৰিবলৈ উপায় নেপাই বছৰৰ পিচত বছৰ কেৱল পৰীক্ষাই দি আছে। জনশ্ৰুতিমতে এই প্ৰাইভেট্ পৰীক্ষাৰ্থীসকল পৰীক্ষাত উত্তীৰ্ণ হোৱাত মাধ্যমিক শিক্ষা ব'ৰ্ডবো বিশেষ আগ্ৰহ নাই, কাৰণ এই ব'ৰ্ডৰ অৰ্থোপাৰ্জনৰ আটাইতকৈ ডাঙৰ উৎসই হ'ল বছৰৰ পাচত ক্ৰমবৰ্দ্ধমান প্ৰাইভেট্ পৰীক্ষাৰ্থীসকল। মানুহে ক'ব নোৱাৰাকৈ জোকে যেনেকৈ তেজ শোষণ কৰি নিজৰ উদৰ পূৰণ কৰে, ঠিক তেনেকৈ মাধ্যমিক শিক্ষা ব'ৰ্ডো জীয়াই আছে প্ৰাইভেট্ পৰীক্ষাৰ্থীসকলৰ তেজ শোষণ কৰি।

প্ৰশ্ন উঠিব পাৰে— পৰীক্ষাৰ্থীয়ে যদি নিজৰ যোগ্যতা প্ৰদৰ্শন কৰি পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰে, তেন্তে তেনে ক্ষেত্ৰত মাধ্যমিক শিক্ষা ব'ৰ্ডে কি কৰিব পাৰে? প্ৰকৃতপক্ষে যিমান সম্ভৱ অধিক সংখ্যক ল'ৰাক পাছ কৰাই দিবলৈ আৰু তাকে কৰি নিজৰ মান বচাবলৈ মাধ্যমিক শিক্ষা ব'ৰ্ডে একো কাম কৰিবলৈ বাকী ৰখা নাই। এইবাৰেই বেছিসংখ্যক ল'ৰাক পাছ্ কৰাবলৈ গ্ৰেচ্ মাৰ্ক দিব লগা হ'ল ৩৬ নম্বৰ পৰ্য্যন্ত — এজন শিক্ষাবিদৰ মতে যিটো কাম এটা প্ৰকাণ্ড ভিচ্‌গ্ৰেচৰ বাহিৰে আন একো নহয় — আনহাতে যিটো

অবিহনে এইবাৰ শতকৰা কুৰিভাগ ল'ৰাও পাছ কৰিলেহেঁতেন নে নাই সন্দেহৰ বিষয়। কিন্তু আচলতে পৰীক্ষাৰ নামত ভেকোঁ-ভাওনা পাতি কেৱল কেতবোৰ ল'ৰাক পাছ আৰু কেতবোৰ ল'ৰাক ফেইল বুলি ঘোষণা কৰি দিয়াতেই ব'ৰ্ডৰ দায়িত্বৰ ওৰ পৰেনে? শিক্ষাৰ যি ব্যাপক সংস্কাৰ আৰু উন্নতি বিধানৰ মহৎ আদৰ্শ আগত লৈ কোঠাৰি কমিচনৰ পৰামৰ্শৰ ভিত্তিত মাধ্যমিক শিক্ষা ব'ৰ্ডবোৰ স্থাপন কৰা হৈছিল, হিচাব পাবলৈ নোহোৱা লক্ষ লক্ষ টকাৰ গমনাগমনৰ গোপন সুৰুঙ্গ-পথতেই সেই আদৰ্শকো সমাধিস্থ কৰা হ'ল নেকি?

কেতবোৰ অযোগ্য আৰু অদূৰদৰ্শী লোকৰ দ্বাৰা গঠিত মাধ্যমিক শিক্ষা ব'ৰ্ডৰ ওপৰতেই সকলো দায়িত্ব এৰি দি নিশ্চিন্ত হৈ থাকিবলৈ কাৰো উপায় নাই। আচলতে ই এটা বিৰাট সামাজিক সমস্যা। সময় থাকোঁতেই যদি এই সমস্যা সমাধান কৰা নহয় বা কৰিবলৈ চেষ্টা আৰম্ভ কৰা নহয়, তেন্তে তাৰ ভয়াবহ পৰিণাম ভোগ কৰিব লাগিব সমগ্ৰ সমাজে। যি শিক্ষা-ব্যৱস্থাই বছৰি বহু সহস্ৰ শিক্ষিত নিকনুৱা ডেকা সৃষ্টি কৰিয়েই ক্ষান্ত থকা নাই, তাৰ ওপৰত ক্ৰমবৰ্ধমান হাৰত বছৰি আধা লাখকৈ পৰীক্ষাত ফেইল কৰা ল'ৰা-ছোৱালী সৃষ্টি কৰিব ধৰিছে আৰু বছৰি আধা লাখকৈ ল'ৰাক ফেইল বুলি ঘোষণা কৰিবলৈ বহু লাখ টকা ব্যয় আৰু অপব্যয় কৰিছে, সেই শিক্ষা-ব্যৱস্থাই দেশৰ প্ৰতিজন নাগৰিকক কেৱল চিন্তিত নহয়, আতঙ্কিত কৰি তোলা উচিত। অথচ চৰকাৰ আৰু ৰাইজ উভয়েই এনে নিৰ্বিকাৰভাৱে গোটেই ঘটনাটো চাই আছে – যেন শতকৰা সত্তৰ ভাগ পৰীক্ষাৰ্থী ফেইল কৰা বছৰে চাৰি-পাঁচ হাজাৰকৈ প্ৰাইভেট্ পৰীক্ষাৰ্থী বাঢ়ি গৈ আধা লাখ হোৱাটোৱেই সংসাৰত আটাইতকৈ বেছি প্ৰত্যাশিত আৰু স্বাভাৱিক ঘটনা। ই যে কিমান এটা বিৰাট অপচয় বা কিমান ডাঙৰ সামাজিক ব্যাধিৰ লক্ষণ, সেই কথা চিন্তা কৰি চাবলৈ কাৰো এই পৰ্য্যন্ত সময়েই হোৱা নাই। সমাজৰ ভৱিষ্যতৰ পক্ষে ইয়াতকৈ বেছি দুশ্চিন্তাৰ কাৰণ আৰু কিবা আছেনে?

শিক্ষাৰ নামত কোটি কোটি টকা খৰচ কৰা আৰু হাজাৰ হাজাৰ মানুহ নিযুক্ত থকা সত্বেও বছৰি ৫০ হাজাৰকৈ পৰীক্ষাৰ্থী অকৃতকাৰ্য্য হোৱাৰ মূলতে নিশ্চয় এটা ডাঙৰ কেৰোণ আছে। কিন্তু সেই কেৰোণ বিচাৰি উলিয়াই তাক নিৰ্মূল কৰাৰ প্ৰয়োজন কোনেও অনুভৱ কৰা নাই বা তাকে কৰিবলৈ কোনেও উপায় বিচাৰি পোৱা নাই। কিন্তু উপায় বিচাৰি পাবই লাগিব। আজি যি ৫০,০০০ ল'ৰাক পৰীক্ষকে অযোগ্য বুলি বাতিল কৰিছে, কালিলৈ সমাজে সিহঁতক বাতিল কৰিব; বছৰি হাজাৰ হাজাৰকৈ সিহঁতৰ সংখ্যা বাঢ়ি গৈয়েই থাকিব; অৱশেষত এনে এটা দিন অতি সোনকালেই আহিব যেতিয়া এই লক্ষ লক্ষ drop out বা অকৃতকাৰ্য্য বেকাৰ যুৱকৰ দলে ক্ৰোধ, হতাশা আৰু যন্ত্ৰণাত অতিষ্ঠ হৈ সমাজত প্ৰলয়-কাণ্ডৰ সূচনা কৰিব; সেই দিন বেছি দূৰত নাই। শিক্ষা-ক্ষেত্ৰত চৰম অযোগ্যতা আৰু ব্যাপক দুৰ্নীতিক প্ৰশ্ৰয় দি সমাজে জুইৰ লগত হেতালি খেলিছে।

মাটি

[অসমৰ মাটিৰ ব্যৱহাৰৰ বিষয়ে পৰিসংখ্যা (Land Utilisation Statistics) সমূলি সন্তোষজনক নহয়। মই সকলো উৎসৰপৰাই এই পৰিসংখ্যাবোৰ সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিছিলোঁ – কৃষি বিভাগৰ সঞ্চালক, পৰিসংখ্যা দপ্তৰৰ সঞ্চালক, ৰাজহ বিভাগ, লেণ্ড ৰেকৰ্ডচ্ বিভাগৰ সঞ্চালক, জিলাৰ উপায়ুক্ত, মহকুমা বিষয়া, খণ্ড উন্নয়ন বিষয়া – এই সকলোৰেপৰাই মই তথ্য-পাতি বিচাৰিছিলোঁ। কিন্তু দেখা গ'ল যে মাটিৰ হিচাব হয় পোৱাই নগ'ল, অথবা যিবোৰ পোৱা গ'ল সেইবোৰো মোৰ বা ৰেজিষ্ট্ৰাৰ জেনেৰেলৰ কাৰ্য্যালয়ত পৰীক্ষা কৰি চোৱাৰ পাচত গ্ৰহণৰ অযোগ্য বুলি বিবেচিত হ'ল। আগতে কৃষি বিভাগৰ সঞ্চালকে কৃষি আৰু মাটিৰ ব্যৱহাৰ সম্পৰ্কীয় পৰিসংখ্যা প্ৰকাশ কৰিছিল। কিন্তু অলপতে মই যেতিয়াই তেওঁক এই তথ্য-পাতিবোৰ খোজোঁ, তেওঁ তেতিয়াই মোক পৰিসংখ্যা দপ্তৰৰ সঞ্চালকৰ ওচৰলৈ যাবলৈ কয়। আনহাতে কৃষি বিভাগৰ সঞ্চালক বা জিলাৰ কৰ্তৃপক্ষই এইবোৰ তথ্য-পাতিৰ যোগান ধৰিলেহে পৰিসংখ্যা দপ্তৰৰ সঞ্চালকে সেইবোৰ বিশ্লেষণ কৰি টোকা প্ৰস্তুত কৰিব পাৰে। সেই কাৰণে অতিশয় অনিচ্ছা সত্বেও মই এই কথা বিশ্বাস কৰিবলৈ বাধ্য হৈছোঁ যে যেতিয়াই এই সংখ্যাবোৰ পোৱা হয়, সেইবোৰ খুব বেছি আনুমানিক হিচাব মাত্ৰ, কিন্তু সৰহভাগ ক্ষেত্ৰতে এই হিচাববোৰ একেবাৰে পোৱাই নাযায়। ...... ১৯৬১ চনৰ পিয়লৰ প্ৰতিবেদন : তৃতীয় খণ্ড : ২৪ পৃঃ]

অসমৰ মাটিহীন মানুহৰ মাজত মাটিৰ কাৰণে হাহাকাৰ লাগিছে। স্বাভাৱিক নিয়মমতে জনসংখ্যা বাঢ়ি থকা হ'লেও অসমত এদিন নহয় এদিন মাটিৰ সমস্যাই তীব্ৰ ৰূপ ধাৰণ কৰিলেহেঁতেন, কিন্তু অসমৰ জনসংখ্যা বাঢ়িব ধৰিছে অস্বাভাৱিক নিয়মত। ১৯৬১ চনৰ পিয়লৰ প্ৰতিবেদনে এই কথা তৰ্কাতীতভাবে প্ৰমাণ কৰিছে যে যোৱা কুৰি বছৰত অসমত হোৱা অস্বাভাৱিক আৰু আতঙ্কজনক জনসংখ্যা স্ফীতিৰ একমাত্ৰ কাৰণ হ'ল বহিৰাগতৰ অবিৰাম স্ৰোত। এনে ধৰণৰ শান্তিপূৰ্ণ আৰু অহিংস দেশবিজয়ৰ দ্বিতীয় এটা উদাহৰণ পৃথিৱীৰ ইতিহাসত নাই বুলিয়েই ক'ব পাৰি। সি যি কি নহওক, অসমত মাটিহীনৰ অনুপাতে মাটিৰ পৰিমাণ ভয়াবহভাৱে কম হৈ যোৱাৰ ই প্ৰধান কাৰণ। ভূমিকম্প, বানপানী, আৰু গৰাখহনীয়া আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগ আৰু বৃহৎ উদ্যোগ প্ৰতিষ্ঠাৰ কাৰণে ব্যাপক মাটি অধিগ্ৰহণেও বহু সহস্ৰ মানুহক মাটিহীন কৰিছে।

কুৰি বছৰতকৈ অধিক কাল শাসনত অধিষ্ঠিত থাকি কংগ্ৰেছ দলে অসমৰ মাটিহীন লোকৰ সমস্যাৰ সমাধানৰ কাৰণে বিশেষ একো কাম নকৰিলে। মাটিহীন খেতিয়ক আৰু কৃষি-শ্ৰমিকৰ স্বাৰ্থ ৰক্ষাৰ নামত এই দলে অৱশ্যে কেইখনমান আইন প্ৰণয়ন কৰিছিল, কিন্তু তাৰ কোনো এখনকে আজি পৰ্য্যন্ত সম্পূৰ্ণ কাৰ্য্যকৰী কৰা নহ'ল। কিয় কৰা নহ'ল বা কৰিব পৰা নহ'ল তাৰ উত্তৰত অসম চৰকাৰে বা কংগ্ৰেছ দলে অৱশ্যে বহুতো কৈফিয়ৎ দিয়ে; কিন্তু আচল সত্য কথাটো হ'ল এয়েই যে অসমত কংগ্ৰেছ দল নিজৰ অস্তিত্ব বা ক্ষমতা ৰক্ষাৰ কাৰণে মজলীয়া শ্ৰেণীৰ মাটিনিবীসকলৰ ওপৰত নিৰ্ভৰশীল, আৰু এই ভূ-স্বামী শ্ৰেণীৰ স্বাৰ্থৰ বিৰুদ্ধে যোৱা কোনো কাম কৰি কংগ্ৰেছ দলে নিজৰ ভৰিত কুঠাৰ মাৰিব নোখোজে। অতএৱ কোৱা বাহুল্য মাথোন যে কামত পৰিণত নোহোৱা এই পেলনীয়া কাকতৰ স্তূপ সদৃশ মাটি সম্পৰ্কীয়

আইনবোৰ অজ্ঞ আৰু অসহায় জনসাধাৰণৰ চকুত ধূলি দিয়াৰ একোটা কৌশল মাত্ৰ। জনশ্ৰুতি শুনা যায় যে একোজন মানুহে ৰাখিব পৰা মাটিৰ সৰ্বোচ্চ নিৰিখ বান্ধি দিয়া আসাম লেণ্ডচ্ চিলিং এক্টখন কাৰ্য্যকৰী কৰোঁতে এই পৰ্য্যন্ত অসম চৰকাৰৰ টকা খৰচ হৈছে এক কোটি টকা, আৰু সেই আইনৰ বলত মাটি আদায় কৰিব পৰা হৈছে মাত্ৰ তিনিশ বিঘা।

এটা কথা ঠিকেই যে চৰকাৰে যদি শান্তিপূৰ্ণ আৰু নিয়ম-তান্ত্ৰিক উপায়েৰে মাটিহীনক মাটি দি জীৱন-দান কৰিব নোৱাৰে, তেন্তে সৰ্বহাৰা কৃষকৰ দলে মন্ত্ৰীৰ ভুৱা প্ৰতিশ্ৰুতিৰে পেট ভৰাই অনিৰ্দিষ্ট কাললৈ বাট চাই থাকিব নোৱাৰে। আজি অসমৰ মাটিহীন মানুহৰ ধৈৰ্য্যৰ বান্ধ খহি গৈছে। নিস্ফল আবেদন-নিবেদনৰ পথ পৰিহাৰ কৰি তেওঁলোকে সংগ্ৰামৰ পথ বাছি লৈছে। সৰ্বহাৰা কৃষকৰ এই জাগৰণ দেখি আজি যদি দুগ্ধ-ফেন-নিভ শয্যাত শুয়ো কাৰোবাৰ চকুত টোপনি নহা হৈছে, তেন্তে তেওঁ দোষ দিব লাগিব নিজৰ কৃতকৰ্মকেই, প্ৰায়শ্চিত্ত কৰিব লাগিব নিজৰ অজস্ৰ ভুল-ভ্ৰান্তিৰেই। আমি মাটিহীন জনতাৰ ন্যায্য দাবীৰ প্ৰতি আমাৰ অকুণ্ঠ সমৰ্থন আগবঢ়াইছোঁ আৰু যিবোৰ বাওঁপন্থী দলে তেওঁলোকক নেতৃত্ব দিছে তেওঁলোককো অভিনন্দন জনাইছোঁ।

কিন্তু লগতে আমাৰ ফালৰপৰা এবাৰ সতৰ্কবাণীও আছে। বিভিন্ন সূত্ৰৰপৰা পোৱা বাতৰি মতে যি হাজাৰ হাজাৰ লোকে চৰকাৰী মাটি আৰু সংৰক্ষিত বন-ভূমি জোৰকৈ দখল কৰিছে তেওঁলোকৰ ভিতৰত অধিকাংশ নহ'লেও যথেষ্ট পৰিমাণে বহিৰাগত লোক আছে। যোৱা ৬ জুনৰ 'পেট্ৰিয়ট্' কাকতৰ এটা বিশেষ প্ৰবন্ধত চিলঙৰ বিশেষ সংবাদদাতাই চৰকাৰী মাটি দখলকাৰী লোকসকলৰ মাজত বহিৰাগতৰ অস্তিত্ব স্বীকাৰ কৰিছে। আমি মানুহৰ মাজত -- বিশেষকৈ হৃত সৰ্বস্ব দৰিদ্ৰ জনতাৰ ক্ষেত্ৰত ধৰ্ম, সম্প্ৰদায় আৰু ৰাষ্ট্ৰৰ ভেদ-ভাব আনিব নোখোজোঁ; পেটৰ জ্বালা সকলোৰে একে, আৰু সি বিশ্বজনীন সহানুভূতিৰ যোগ্য। কিন্তু তথাপি ৰাষ্ট্ৰৰ অস্তিত্ব থাকে মানে প্ৰত্যেক ৰাষ্ট্ৰই নিজৰ নিজৰ দেশবাসীৰ প্ৰতি অগ্ৰাধিকাৰ দিব লাগিব, কাৰণ সেইটো তেওঁলোকৰ বিশেষ দায়িত্ব। আজি মাটিহীন মানুহৰ নামত যদি নেপালৰ বা পূৰ্ব-পাকিস্তানৰ (হিন্দু-মুছলমান নিৰ্বিশেষে) মানুহে অসমৰ সমুদায় মাটি জোৰ কৰি দখল কৰি লৈ যায়, তেন্তে অসমীয়া জাতি চিৰকালৰ কাৰণে লোপ পাব, শিপা মেলিবলৈ ঠাই নাপাই অসমীয়া ভাষা-সংস্কৃতি শুকাই মৰি যাব। তাতে এই কথা সকলোৱেই জানে যে অসমৰ থলুৱা মানুহবোৰ আন ঠাইৰ মানুহৰ তুলনাত অপেক্ষাকৃতভাৱে কম কষ্টসহিষ্ণু আৰু তেওঁলোকৰ সংগ্ৰামী মনোবৃত্তিও কম। সেই কাৰণে আমি আশা কৰিছোঁ যে যিসকল বাওঁপন্থী দলে আজি মাটিহীন মানুহৰ মাটি-দখলৰ সংগ্ৰামৰ নেতৃত্ব লৈছে, তেওঁলোকে এই কথাটো সততে মনত ৰাখিব আৰু নিজৰ দায়িত্ব সম্পূৰ্ণৰূপে উপলব্ধি কৰিব। কিছুমান কামে তৎকালিকে ভাল ফল দিয়ে হয়, কিন্তু দীৰ্ঘম্যাদী পৰিণাম বেয়াও হ'ব পাৰে। দ্বিতীয়তে, নিৰ্বিচাৰভাৱে অসমৰ বনজ সম্পদ ধ্বংস কৰাটো বা সকলো সংৰক্ষিত ভূমি আবাদ কৰাটো গোটেই দেশৰ ভৱিষ্যৎ স্বাৰ্থৰ অনুকূল নহৱও পাৰে। মাটিৰ এই অন্তহীন সতৰ্কতা আৰু বিচাৰ-বিবেচনাৰ প্ৰয়োজন কোনেও নিশ্চয় নুই কৰিব নোৱাৰে।

পৰিবৰ্তনৰ আহ্বান

১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পাচত ভাৰতবৰ্ষত এটা নতুন ৰাজনৈতিক পৰীক্ষাৰ সূচনা হ'ল : সেইটো হৈছে বিৰোধী দলসমূহৰ দ্বাৰা যুক্তফ্ৰণ্ট গঠন। ১৯৬৯ চনৰ অন্তৰ্বৰ্তী নিৰ্বাচনে এই পৰীক্ষাক সফলতাৰ বাটত আৰু অলপ আগবঢ়াই নিলে। বিশেষকৈ পশ্চিম বঙ্গৰ বাওঁপন্থী যুক্তফ্ৰণ্টৰ আশাতীত সাফল্যাই যুক্তফ্ৰণ্টৰ কাৰ্য্যকাৰিতা আৰু সম্ভাৱনা সম্পৰ্কে জনসাধাৰণৰ মনত বহুতো আশা জগাই তুলিলে। সম্প্ৰতি অসমতো সাতোটা বাওঁপন্থী ৰাজনৈতিক দল লগ হৈ এটা যুক্তফ্ৰণ্ট গঠনৰ চেষ্টা চলাইছে। অন্তৰ্বৰ্তী নিৰ্বাচনত পশ্চিম বঙ্গৰ যুক্তফ্ৰণ্টৰ চমক-প্ৰদ সাফল্যাই যে অসমৰ বিৰোধী দলসমূহৰো প্ৰেৰণাৰ উৎস – সেই বিষয়ে কোনো সন্দেহ নাই।

এই প্ৰস্তাবিত যুক্তফ্ৰণ্টৰ প্ৰতি অসমৰ জনসাধাৰণৰ প্ৰতিক্ৰিয়া কেনে ধৰণৰ – সেই বিষয়ে নিশ্চিতভাৱে জানিব পৰা অৱস্থা এতিয়াও হোৱা নাই। কিন্তু অসমৰ একাধিক সংবাদ-পত্ৰই যুক্তফ্ৰণ্টৰ বিৰুদ্ধে বিৰূপ মনোভাৱ প্ৰকাশ কৰিছে আৰু জনসাধাৰণৰ মনতো তেনে মনোভাৱ সুমুৱাই দিবলৈ চেষ্টা কৰা দেখা গৈছে। কোনো ৰাজনৈতিক দল বিশেষক সমৰ্থন কৰা বা তাৰ বিৰোধিতা কৰাটো বাতৰি কাকতৰ কাম বুলি আমি নাভাবোঁ। আমি ভাবোঁ যে বাতৰি কাকতৰ একমাত্ৰ কাম হ'ল বস্তু-নিষ্ঠ আৰু নিৰপেক্ষভাৱে বিশ্লেষণ কৰি জনসাধাৰণক বাতৰিৰ যোগান ধৰা— to infiorm the public। আমাৰ সন্মুখত প্ৰথম প্ৰশ্ন হ'ল : কংগ্ৰেছ দলক আৰু পাঁচ, দহ বা পোন্ধৰ বছৰৰ কাৰণে দলীয় একনায়কত্ববাদ চলাই যাবলৈ দিয়াটো উচিত হ'ব নে কিবা এটা পৰিবৰ্তন আনিবলৈ চেষ্টা কৰাটো বাঞ্ছনীয় হ'ব? যদি জনসাধাৰণে ভাবে যে কংগ্ৰেছ দলে ৰাইজৰ কাৰণে ভাল কামেই কৰি আছে, সদ্যহতে ইয়াৰ আৰু পৰিবৰ্তনৰ একো প্ৰয়োজন নাই তেতিয়া হ'লে কোনে কি উদ্দেশ্যৰে যুক্তফ্ৰণ্ট গঠন কৰে নকৰে সেইবোৰ কথাৰ প্ৰতি একো মন-কাণ নিদিলেও চলি যায়। কিন্তু এই কথা বোধহয় কোনেও অস্বীকাৰ নকৰিব যে অসমৰ ৰাইজে কিবা এটা পৰিবৰ্তন বিচাৰিছে। গণতন্ত্ৰৰ শক্তি বৃদ্ধিৰ কাৰণেও অসমত বিৰোধী দলসমূহ অধিক সু-সংগঠিত আৰু ঐক্যবদ্ধ হোৱা প্ৰয়োজন। যদি বিৰোধী পক্ষৰ শক্তি বৃদ্ধি ৰাইজৰ স্বাৰ্থ আৰু গণতন্ত্ৰৰ নিৰাপত্তাৰ কাৰণে দৰকাৰী বুলি স্বীকাৰ কৰি লোৱা হয়, তেন্তে দ্বিতীয় প্ৰশ্ন আহি পৰে : বাইশ বছৰ ধৰি একাদিক্ৰমে ৰাজপাট খোৱা আৰু 'ক'লা টকা'ৰ বলেৰে মহা-বলীয়ান কংগ্ৰেছ দলৰ বিকল্প হিচাবে কোন দলক থিয় কৰোৱা যায়? ভাৰতবৰ্ষ এখন বিশাল দেশ, বিচিত্ৰ ইয়াৰ অধিবাসীবৃন্দ। এনে এখন দেশত অজস্ৰ ৰাজনৈতিক দল-উপদলৰ অস্তিত্ব বাঞ্ছনীয় নহ'লেও অস্বাভাৱিক একো নাই। যিহেতু কংগ্ৰেছৰ বিৰুদ্ধবাদী পক্ষ বহুতো দল-উপদলত বিভক্ত, আৰু তাৰ কোনো এটা দলেই অকলশৰে কংগ্ৰেছ দলক ৰণক্ষেত্ৰত প্ৰত্যাহ্বান কৰিবলৈ অক্ষম, গতিকে সাধাৰণভাৱে আদৰ্শগত মিল থকা কেইটামান দলে কংগ্ৰেছৰ বিৰুদ্ধে একগোট হ'বলৈ ঠিক কৰিছে। এইটোৱেই হ'ল যুক্তফ্ৰণ্ট গঠনৰ মূল যুক্তি।

যিসকল লোকে যুক্তফ্ৰণ্ট গঠনৰ বিৰোধিতা কৰে তেওঁলোকে স্পষ্টভাৱে এটা প্ৰশ্নৰ উত্তৰ দিব লাগিব : তেওঁলোকে কংগ্ৰেছৰ শাসনকেই একমাত্ৰ আদৰ্শ শাসন বুলি ভাবেনেকি আৰু কংগ্ৰেছৰ দলীয় একনায়কত্ববাদ

চিৰকাল চলি থকাটো বিচাৰনেকি? গণতন্ত্ৰৰ স্বাস্থ্যৰক্ষাৰ কাৰণেও মাজে মাজে শাসক দলৰ পৰিবৰ্তন বাঞ্ছনীয় বুলি তেওঁলোকে ভাবে নে নাভাবে? যদি ভাবে, তেন্তে বৰ্তমানৰ পৰিস্থিতিত অপেক্ষাকৃত দুৰ্বল আৰু ক্ষুদ্ৰ-কায় ৰাজনৈতিক দলবোৰ একগোট হৈ কংগ্ৰেছৰ বিৰুদ্ধে যুঁজ কৰাৰ বাহিৰে আন কি উপায় আছে? কেৱল যুক্তফ্ৰন্ট বেয়া বুলি ক'লেই নহব, তাতোকৈ ভাল কি পন্থা হ'ব পাৰে সেইটোও বাইজক কব লাগিব। যিসকল লোকে আজি যুক্তফ্ৰন্ট তথা কংগ্ৰেছৰ একমাত্ৰ সম্ভৱপৰ বিকল্পৰ ভ্ৰূণ-হত্যা কৰিবলৈ চেষ্টা কৰিছে, তেওঁলোকে যুক্তফ্ৰন্টক বাতিল কৰাৰ লগে লগে যদি আন এটা বিকল্প পথৰ সন্ধান দিব নোৱাৰে, তেন্তে এই কথা ধৰি ললে ভুল হ'ব নেকি যে তেওঁলোকে চিৰকাল কংগ্ৰেছৰেই একাধিপত্য বিচাৰে, আৰু এই বিচৰাৰ মাজত নিহিত আছে কেৱল সমাজৰ সুবিধাভোগী শ্ৰেণীটোৰ ন্যস্ত স্বাৰ্থ — যি স্বাৰ্থ কংগ্ৰেছ দলৰ ভাগ্যৰ লগত অবিচ্ছেদ্যভাৱে জড়িত? এই লোকসকলে যদি প্ৰকৃততেই গণতন্ত্ৰত বাস কৰে, তেন্তে কোন দলে শাসন-ক্ষমতা লাভ কৰিব কেৱল সেই চিন্তাতে বিনিদ্ৰ ৰজনী যাপন কৰিলে নহ'ব; কোনবোৰ দলে কিমান শক্তি, পৰাক্ৰম আৰু নিষ্ঠাৰে বিৰোধী পক্ষৰ ভূমিকা পালন কৰে সেইবোৰকো লক্ষ্য ৰাখিব লাগিব। বিৰোধী পক্ষ যদি শক্তিশালী নহয়, তেন্তে গণতন্ত্ৰ সম্পূৰ্ণ সুস্থ আৰু কাৰ্য্যকৰী হ'ব পাৰেনে?

এটা কথা সঁচা যে কেৰালা বা পশ্চিম বঙ্গত যুক্তফ্ৰণ্টে কঠিন সমস্যাৰ মাজেদি আগবাঢ়িব লগা হৈছে। এই কথাও অসম্ভৱ নহয় যে যি কোনো সময়তে সেই সেই চৰকাৰৰ পতনো হ'ব পাৰে। তাৰ একমাত্ৰ কাৰণ বাওঁপন্থী দলসমূহৰ আভ্যন্তৰীণ কলহ বা মত-বিৰোধেই নহয়, তাতোকৈ ডাঙৰ কাৰণ হ'ল ক'লা টকাৰ বলেৰে বলীয়ান আৰু গুলী খোৱা মৃত-প্ৰায় বাঘৰ দৰে হিংস্ৰ হৈ উঠা কংগ্ৰেছ দলৰ নানা চক্ৰান্ত আৰু বিৰোধিতা। অসমতো যুক্তফ্ৰন্টৰ পথ নিশ্চয় কুসুমাকীৰ্ণ নহ'ব। কিন্তু মনত ৰখা উচিত হ'ব যে এই সকলোবোৰ এক সুদীৰ্ঘ সংগ্ৰামৰ প্ৰথম পদক্ষেপ মাত্ৰ। ভাৰতবৰ্ষত অৰ্থনৈতিক মুক্তিৰ সংগ্ৰাম এতিয়াহে আৰম্ভ হৈছে। এই সংগ্ৰাম যদি সশস্ত্ৰ বিপ্লৱৰ ৰক্তাক্ত পথেৰে আগবাঢ়িব নালাগে, তেন্তে জনসাধাৰণে যুক্তফ্ৰন্ট আদিৰ নিচিনা নানা ৰাজনৈতিক পৰীক্ষাৰ মাজেদিয়ে আগবাঢ়িব লাগিব। হয়তো এই পৰীক্ষাত বহুতো ভুল হ'ব, বহুবাৰ উজুতি খাব লাগিব, বহুবাৰ পিচ হুহকিব লাগিব — কিন্তু তাৰ বাহিৰে আন উপায় কি আছে? যুক্তফ্ৰন্টৰ আমোলত নানা অশান্তি হৈছে সঁচা, নানা ৰাজনৈতিক হত্যাকাণ্ড হৈছে সঁচা, অন্তৰ্দলীয় মত-পাৰ্থক্যৰ কাৰণে অৰ্থনৈতিক পুনৰ গঠনৰ কাম অতি মন্থৰ গতিৰে আগবাঢ়িছে সেই কথাও সঁচা; কিন্তু কংগ্ৰেছ দলৰ ২২ বছৰৰ কু-শাসন আৰু নিৰ্মম শোষণ যদি জনসাধাৰণে ধৈৰ্য্য ধৰি সহ্য কৰিব পাৰিলে, গান্ধীবাদী কংগ্ৰেছ চৰকাৰে হাজাৰ হাজাৰ মানুহক পুলিচৰ দ্বাৰা গুলীয়াই হত্যা কৰাৰ দৃশ্য যদি সহ্য কৰিব পাৰিলে, তেন্তে যুক্তফ্ৰন্টৰ শাসন ২২ টা মাহো সহ্য কৰিব নোৱাৰিবনে? গান্ধীজীৰ নেতৃত্বত হোৱা অহিংস আন্দোলনৰ সময়তো শ শ ৰাজনৈতিক হত্যাকাণ্ড হোৱা নাছিলনে? আজি এইবোৰ বিপদৰ ভয় দেখুৱাই জনসাধাৰণক প্ৰস্তাবিত যুক্তফ্ৰন্টৰ বিৰুদ্ধে উচটাই দিয়াৰ একমাত্ৰ অৰ্থ হ'ল কংগ্ৰেছী শাসনক চিৰকাল কায়েমী ৰখাৰ ওকালতি, তাৰ একমাত্ৰ অৰ্থ হ'ল স্থিতাৱস্থাৰ সপক্ষে ওকালতি, সকলো পৰিবৰ্তন আৰু জনসাধাৰণৰ সংগ্ৰামী আশা-আকাংক্ষাৰ বিৰুদ্ধে কৰা ওকালতি। পৰিবৰ্তনৰ অভাৱৰ আন এটা নামেই হ'ল মৃত্যু বা জড়ত্ব। গতিকে পৰিবৰ্তনৰ বিৰুদ্ধে ওকালতী কৰা মানে জড়ত্ব বা মৃত্যুৰ সপক্ষে ওকালতী কৰা।

আমি এই কথা ক'ব নোখোজোঁ যে অসমত যুক্তফ্ৰন্টৰ চৰকাৰ হ'লেই এই ৰাজ্যত স্বৰ্গ-ৰাজ্য প্ৰতিষ্ঠিত হ'ব। প্ৰকৃতপক্ষে এই ফ্ৰন্ট বা তাৰ অংশীদাৰ দলসমূহৰ আদৰ্শ আৰু কাৰ্য্যপন্থা সম্পৰ্কে আমাৰ মনতো কেতবোৰ যুক্তিসঙ্গত সংশয় আৰু উদ্বেগ আছে। দ্বিতীয়তে কোনো দলৰ সপক্ষে বা বিপক্ষে মাত মতাটোও

আমাৰ নীতিৰ ভিতৰত নপৰে। কিন্তু অসমৰ ৰাজনৈতিক বাস্তৱতাই এই কথা প্ৰমাণ কৰিছে যে ক্ষমতা দখল কৰিব পাৰক নোৱাৰক, কংগ্ৰেছৰ বিৰুদ্ধে এটা শক্তিশালী বিৰোধী দল হ'বলৈ হ'লে বাওঁপন্থী দলবোৰ একগোট হোৱাৰ বাহিৰে আন একো গত্যন্তৰ নাই। এই একগোট হোৱাৰ চেষ্টাৰেই আন এটা নাম হ'ল যুক্তফ্ৰণ্ট। আমি যিহেতু গণতন্ত্ৰত বিশ্বাস কৰোঁ, গতিকে গণতন্ত্ৰৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে এই যুক্তফ্ৰণ্ট গঠনৰ চেষ্টাক আমি আদৰণি জনাইছোঁ। যুক্তফ্ৰণ্ট গঠন হোৱাৰ পাচত মাৎস্য-ন্যায় অনুসৰণ কৰি কোন দলে কোন দলক ভক্ষণ কৰি নিশ্চিহ্ন কৰে সেইবোৰ কথা আগতীয়াকৈ চিন্তা কৰি আমি মাকতকৈ মাহীমাকৰ মৰম বেছি বুলিও দেখুৱাব নোখোজোঁ বা অতি ভক্তি চোৰৰ লক্ষণ বুলি প্ৰমাণ কৰিবও নোখোজোঁ। বৰং সৰু-সুৰা দল-উপদলবোৰ নিশ্চিহ্ন হৈ অৱশেষত যুক্তফ্ৰণ্টটো এটা সু-সংহত ৰাজনৈতিক দলত পৰিণত হোৱাটোহে কাম্য বুলি আমি বিবেচনা কৰোঁ।

আমি সামৰণিত আকৌ দোহাৰিব খোজোঁ যে কেতবোৰ কাল্পনিক বিপদৰ ভয় দেখুৱাই যুক্তফ্ৰণ্টৰ ভ্ৰূণ-হত্যা কৰিবৰ চেষ্টা কৰাৰ অৰ্থ হ'ল এটা পচিব ধৰা স্থিতাৱস্থাৰ হৈ ওকালতী আৰু পৰিবৰ্তনৰ বিৰোধিতা। ই এটা পলায়নবাদী, নেতিবাচক আৰু পৰাজয়-সূচক মনোভাব। খুব সম্ভৱ যুক্তফ্ৰণ্ট হ'লেও আমাৰ সমস্যাৰ সমাধান নহ'ব, আমি বহুতো বিপদ আৰু অশান্তিৰ সন্মুখীন হম, কিন্তু বিপদ-বিঘিনীৰ সন্মুখীন নোহোৱাকৈ মানুহৰ কোন সংগ্ৰাম জয়যুক্ত হৈছে? বিপদৰ সমুদ্ৰত জাঁপিয়াই পৰাটোৱেই হ'ল যৌৱনৰ ধৰ্ম। আজি যিবোৰ মানুহে যুক্তফ্ৰণ্টৰ সম্ভাব্য বিপদৰ ভয় দেখুৱাই স্থিতাৱস্থা বাহাল ৰাখিবৰ কাৰণে ওকালতী কৰিছে, সেই মানুহবোৰে ভাৰতবৰ্ষৰ প্ৰদীপ্ত যৌৱনক অপমান কৰিছে। কোনেও আমাক কৈ নিদিলেও আমি এই কথা ভালকৈয়ে জানো যে আমাৰ ভৱিষ্যৎ ভয়াবহ আৰু বিপদ-সঙ্কুল, কিন্তু প্ৰফেছৰ হোৱাইট্‌হেডে কোৱাৰ দৰে It is the business of the future to be dangerous; — আমি ভাবোঁ যে বৰ্তমানৰ এই স্থিতাৱস্থাৰ মাজত অৰ্ধমৃত আৰু অপৰিবৰ্তনীয় জীৱন যাপন কৰাতকৈ অনিশ্চিত কিন্তু সংগ্ৰাম-মুখৰ ভৱিষ্যতৰ যি কোনো হিংস্ৰ মৃত্যু আৰু যন্ত্ৰণা কোটি গুণে অধিক কাম্য। স্থিতাৱস্থাৰ হৈ কৰা ওকালতী মৃত্যুৰ সপক্ষে কৰা উকালতী; পৰিবৰ্তনৰ আহ্বান মানেই জীৱনৰ আহ্বান।

মানুহে চন্দ্ৰত ভৰি দিলে

মানুহে চন্দ্ৰত ভৰি দিলে।

মানব জাতিৰ লক্ষ লক্ষ বছৰৰ ইতিহাসত ইয়াৰ আগতেও মানুহে নানা অসাধ্য সাধন কৰিছে। এই ক্ষণ-ভঙ্গুৰ ক্ষুদ্ৰাকায় প্ৰাণী মানুহ— সেই মানুহে সমগ্ৰ পশু জগতৰ ওপৰত নিজৰ আধিপত্য স্থাপন কৰিছে, মহাসমুদ্ৰ অতিক্ৰম কৰিছে। অবিশ্বাস্য গতি-বেগ অৰ্জন কৰিছে, প্ৰকৃতিৰ ৰহস্যময় শক্তিসমূহক নিজৰ সেবাৰ কামত লগাইছে, চিন্তা আৰু কল্পনাৰ বলেৰে অসীম আৰু অনন্তক উপলব্ধি কৰিছে। মানুহৰ প্ৰতিটো নতুন সাফল্যই আমাৰ মনলৈ বিস্ময় আৰু গৌৰৱৰ ভাব বহন কৰি আনিলেও পিচ মুহূৰ্ত্ততে সি ইমান সহজ আৰু সাধাৰণ হৈ পৰে যে সৰু ল'ৰাই এটা খেলা ভাঙি দি আন এটা খেলাত মত্ত হৈ পৰাৰ দৰে মানুহেও তাক কোনোটো সাফল্যৰ গৌৰৱতে আত্মহাৰা হৈ নাথাকি নৱ নৱ ৰহস্যৰ সন্ধানত আগবাঢ়ি যায়। মানুহৰ এই অদম্য অভিযান স্পৃহা আৰু অবিশ্বাস্য অগ্ৰগতিয়ে এটা কথা স্পষ্টভাবে প্ৰমাণিত কৰিছে যে মানুহৰ শক্তি আৰু সম্ভাবনা সঁচাকৈয়ে অন্তহীন। কিন্তু তথাপি সৌ সিদিনা পৰ্যন্ত মানুহৰ সকলো অভিযান আৰু সাফল্য সীমাবদ্ধ আছিল পৃথিৱী আৰু তাৰ মাধ্যাকৰ্ষণ শক্তিয়ে ঢুকি পোৱা শূন্য-মণ্ডলৰ ভিতৰতে। মাত্ৰ বাৰ বছৰৰ আগতে মানুহে পৃথিৱীৰ বন্ধন অতিক্ৰম কৰি অপৰিচিত আৰু অনাত্মিক মাহাশূন্যৰ বুকুত জাপ দিবলৈ চেষ্টা কৰিছিল, আজি এই অবিশ্বাস্য কম সময়ৰ ভিতৰতে মানুহে দুটামান জাঁপ দিয়েই সুদূৰ চন্দ্ৰলোকত গৈ ভৰি দিছে। নানা গৌৰৱময় সাফল্যৰে পৰিপূৰ্ণ মানব-জাতিৰ সুদীৰ্ঘ ইতিহাসতো পৃথিৱীৰ মানুহে গৈ চন্দ্ৰত ভৰি দিয়াৰ এই মুহূৰ্ত্তটোৰ কোনো তুলনা নাই, ই মানুহৰ দৃষ্টিৰ সন্মুখত উন্মোচন কৰি দিছে এক নতুন আৰু অদৃষ্টপূৰ্ব দিগন্ত।

অৱশ্যে এই কথাও ঠিক যে মানুহৰ চন্দ্ৰ-বিজয়ৰ এই মহিমা-মণ্ডিত মুহূৰ্ত্তত আমি সকলোৱে যি অভূতপূৰ্ব ৰোমাঞ্চ আৰু গৌৰৱ অনুভৱ কৰিছোঁহি সি বেছি পৰ স্থায়ী নহ'ব। আজি যিটো কথা সাধাৰণ আৰু অবিশ্বাস্য বুলি অনুভূত হৈছে কালিলৈ সিয়েই হৈ পৰিব অতি সহজ আৰু সাধাৰণ। অৱশ্যে তাৰ দ্বাৰাই চন্দ্ৰত পদাৰ্পণ কৰা প্ৰথম মানুহৰ গৌৰৱ অকণো লাঘৱ নহয়, বৰং সি সামগ্ৰিকভাৱে মানৱ আত্মাৰ অন্তহীন সম্ভাৱনাৰ কথাহে প্ৰমাণ কৰিব। ইয়াৰ পাচত মানুহে কি কৰিব সেই কথা কল্পনা কৰিলেও হৃদয় এক বিপুল আবেগত ৰোমাঞ্চিত আৰু উদ্বেলিত হৈ উঠিব খোজে। কিন্তু আমি আবেগৰ সোঁতত উটি যাহি নগৈ বৰং এই কথা মনত ৰাখিবলৈকে চেষ্টা কৰা উচিত যে এয়া মাত্ৰ আৰম্ভণিহে, এতিয়াও আমাৰ সন্মুখত পৰি আছে লক্ষ-কোটি আলোকবৰ্ষৰ পথ, অন্তহীন আৰু অপৰিমেয় মহাকাশ।

যি দুজন মানুহে চন্দ্ৰত প্ৰথম পদাৰ্পণ কৰিলে আৰু যিসকল মানুহৰ প্ৰতিভা আৰু সাধনাৰ বলত এই অসাধ্য সাধন কৰা সম্ভৱপৰ হ'ল সেই সকলোলৈকে আমি অভিনন্দন জনাইছোঁ। লগতে অভিনন্দন জনাইছোঁ পাশ্চাত্য জগতৰ বিজ্ঞান সাধনালৈ, এখন বিখ্যাত বিদেশী আলোচনীয়ে কোৱাৰ দৰে পশ্চিমৰ

মানুহৰ 'ফাউষ্টিয়ান স্পিৰিটলৈ, সেই অস্থিৰ আৰু অশান্ত মানবাত্মাৰ অন্তহীন অভিযান-স্পৃহালৈ, যাৰ অবিহনে মানব-সভ্যতাৰ যোৱা তিনিশ বছৰৰ ইতিহাস ৰচনা কৰা কেতিয়াও সম্ভৱ নহ'লহেঁতেন।

সামৰণিত কওঁ, চন্দ্ৰ বিজয়ৰ এই অবিশ্বাস্য সাফল্যৰ মুহূৰ্তটো মানুহৰ কাৰণে গৌৰৱত আত্মহাৰা হৈ পৰিব লগা মুহূৰ্ত নহয়, বৰং ক্ষন্তেক পৰ নম্ৰ হোৱাৰ মুহূৰ্ত, নীৰব হোৱাৰ মুহূৰ্ত, নিজৰ অন্তৰত ডুব দিয়াৰ মুহূৰ্ত। এই মুহূৰ্তত আমি মনত পেলাবলৈ চেষ্টা কৰিব পাৰো জি. কে. চেষ্টাৰটনে কোৱা কেইটামান কথা ঃ One may understand the cosmos, but never the ego; the self is distant than any star, thou shalt love the Lord thy God; but thou shalt not know thyself. We are all under the same mental calamity; We have all forgotten our names. We have all forgotten what we realy are ... all that we call spirit and art and ecstacy only means that for one aweful instant we remember that we forget.

চন্দ্ৰত মানুহৰ সফল অৱতৰণ

বিজ্ঞানৰ অভূতপূৰ্ব জয়যাত্ৰা ঃ শতিকাৰ বৃহত্তম সাফল্য

শতিকাৰ বৃহত্তম সপোন দিঠকলৈ পৰিণত কৰি অৱশেষত মানুহে চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰি মানুহ আৰু বিজ্ঞানৰ অবিস্মৰণীয় সাফল্য প্ৰতিপন্ন কৰিবলৈ সমৰ্থ হ'ল।

যোৱা সোমবাৰে ভাৰতীয় সময় মান অনুসৰি দুপৰীয়াৰ আগে আগে মাৰ্কিন মহাকাশযান এপল-১১ৰ দুজন মহাকাশযাত্ৰী নীল আৰ্মষ্ট্ৰং আৰু এড্‌উইন আলড্ৰিনে চন্দ্ৰযানৰ পৰা ওলাই চন্দ্ৰপৃষ্ঠত নামি পৰে। প্ৰথমতে আৰ্মষ্ট্ৰঙে চন্দ্ৰ মাটিত খোজ কাঢ়ি সেই উপগ্ৰহৰ মাটিত ভৰি দিয়া পৃথিৱীৰ প্ৰথম মানুহহোৱাৰ গৌৰব অৰ্জন কৰে। প্ৰায় কুৰি মিনিটৰ পাচত এড্‌উইন আলড্ৰিনেও চন্দ্ৰযানৰ পৰা ওলাই গৈ চন্দ্ৰ মাটিত ভৰি দিয়ে। মহাকাশ যাত্ৰী দুজনে মাটিৰ নমুনা গ্ৰহণ কৰে, পূৰ্বনিৰ্দিষ্ট অন্যান্য পৰীক্ষা নিৰীক্ষা চলায় আৰু ডেৰ ঘণ্টা কাল চন্দ্ৰৰ মাটিত থাকি পাচত "ঈগল" নামৰ চন্দ্ৰযানলৈ ঘূৰি আহে।

ইয়াৰ আগতে দেওবাৰে নিশা ১১-১৭ মিনিটত (ভাৰতীয় সময় অনুসৰি) মূল যান এপ'ল' যানখনৰ পৰা পূৰ্বনিৰ্দিষ্টভাৱে চন্দ্ৰযানখন বিচ্ছিন্ন হৈ পৰে। চন্দ্ৰযানত মহাকাশ যাত্ৰী আৰ্মষ্ট্ৰং আৰু আলড্ৰিন থাকে আৰু তৃতীয় মহাকাশ যাত্ৰী মাইকেল কলিঞ্চে মূল যানখন চন্দ্ৰৰ কক্ষপথত পৰিচালনা কৰি থাকে। চন্দ্ৰ মাটি চুই আৰ্মষ্ট্ৰং আৰু আলড্ৰিন পৃথিৱীলৈ প্ৰত্যাবৰ্তন কৰাৰ কাম পৰিচালনাৰ দায়িত্ব মাইকেল কলিঞ্চৰ ওপৰত।

চন্দ্ৰপৃষ্ঠত চন্দ্ৰযান নামি পৰাৰ পাচতে দুয়োজন মহাকাশচাৰীয়ে পূৰ্ব পৰিকল্পনা অনুযায়ী যানৰ যন্ত্ৰপাতি পৰীক্ষা কৰে আৰু আহাৰাদি সম্পন্ন কৰি সম্পূৰ্ণ আঠ ঘণ্টাৰ বাবে শুই লয়। সোমবাৰে পুৱা টোপনিৰ পৰা উঠি তেওঁলোক চন্দ্ৰ অৱতৰণৰ সাজ-পাৰ পিন্ধি পৃথিৱীৰ নিৰ্দেশ অনুযায়ী প্ৰথমতে আৰ্মষ্ট্ৰং আৰু তাৰ প্ৰায় কুৰি মিনিটৰ পাচত আলড্ৰিন চন্দ্ৰৰ মাটিত নামি পৰি বিজ্ঞানৰ নতুন বিজয় প্ৰতিষ্ঠা কৰে, চন্দ্ৰত প্ৰথমতে আমেৰিকাই মানুহ নমোৱাব বুলি কৰা ঘোষণা বাস্তৱলৈ পৰিণত কৰে।

চন্দ্ৰৰ মাটিত থিয় দি আৰ্মষ্ট্ৰঙে পৃথিৱীলৈ খবৰ পঠায় যে চন্দ্ৰৰ উপৰিভাগ এক প্ৰকাৰ গুড়িৰ দৰে বালিময় পদাৰ্থেৰে গঠিত আৰু চন্দ্ৰপৃষ্ঠৰ এক নিজস্ব সৌন্দৰ্য্য আছে।

দুয়োজন মহাকাশ যাত্ৰীয়ে চন্দ্ৰৰ মাটিত বিজয় পতাকা ৰোপণ কৰি বিজ্ঞান আৰু মানৱ সমাজৰ অবিস্মৰণীয় সাফল্যৰ স্বাক্ষৰ চন্দ্ৰত এৰি আহে। তেওঁলোকে চন্দ্ৰপৃষ্ঠৰ এমুঠি বালিময় পদাৰ্থও নিজৰ জেপত ভৰাই লয়।

এপ'ল- ১১ ৰ এই মহান সাফল্যৰ বাবে বিশ্বৰ সকলো ঠাইৰে পৰা হাজাৰ হাজাৰ অভিনন্দনৰ বাণী আমেৰিকা যুক্তৰাষ্ট্ৰ প্ৰেচিডেন্ট মিঃ নিক্সনলৈ প্ৰেৰণ কৰা হৈছে। পৃথিৱীৰ কোটি কোটি মানুহে বিস্ময় আৰু আনন্দত অভিভূত হৈ আমেৰিকাৰ মহান সফলতাৰ সমভাগী হৈছে।

ভাৰতৰ অস্থায়ী ৰাষ্ট্ৰপতি শ্ৰীমহম্মদ হেদায়তুল্লাই আমেৰিকাৰ প্ৰেচিডেন্ট মিঃ নিক্সনলৈ পঠোৱা এক বাণীত ভাৰতীয় ৰাইজৰ হৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হৈছে। সোমবাৰে আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিৱেশনে এই সাফল্যৰ বাবে প্ৰেচিডেন্ট মিঃ নিক্সনলৈ অভিনন্দন বাণী পঠায়। প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীয়েও ভাৰতৰ ৰাইজ আৰু সংসদৰ হৈ অভিনন্দন বাণী পঠায়।

সত্যাসত্য

অসমত ৰেলৰে ডিভিজন স্থাপন সম্পৰ্কীয় গোটেই কথাবোৰেই সম্প্ৰতি এটা ৰহস্যময় ৰূপ ধাৰণ কৰিছে। কথা গৈ ইমান পাইছে যে দেশৰ নেতৃস্থানীয় একাধিক ব্যক্তিৰ সততা বা সত্যবাদিতাও সন্দেহৰ বিষয় হৈ পৰিছে। অসমত দ্বিতীয় এটা ৰেলৰে ডিভিজন হওক নহওক সেইটো পিচৰ কথা, কিন্তু তাৰ আগতে আমাৰ সম্মুখত দেখা দিয়া এই সাঁথৰটোৰ ৰহস্য ভেদ একান্ত প্ৰয়োজন। ৰাজহুৱা জীৱনৰ অত্যুচ্চ আসনত অধিষ্ঠিত লোকসকলেও যদি সঙ্কীৰ্ণ প্ৰশাসনিক স্বাৰ্থত মিথ্যা ভাষণৰ আশ্ৰয় লব লগা হয় বা তেওঁলোকৰ মুখৰ কথাৰ কোনো মূল্য নেথাকে তেন্তে তাতোকৈ ডাঙৰ দুৰ্ভাগ্যৰ কথা আন একোৱেই হ'ব নোৱাৰে। প্ৰথমতে ফৰিদাবাদৰ কথাই ধৰা যাওক। ২৮ এপ্ৰিলৰ দিনাখন ৰেলৰে ডিভিজন আঁচনি বিৰোধী কৰ্ম পৰিষদে 'অসম বন্ধ'ৰ পৰিকল্পনা কৰিছিল। সেই সময়ত ফৰিদাবাদত কংগ্ৰেছৰ অধিৱেশন বহি আছিল। ২৭ এপ্ৰিলৰ দিনাখন শ্ৰীকামাখ্যাপ্ৰসাদ ত্ৰিপাঠীৰ পৰা তাঁৰ যোগে খবৰ আহিল যে ৰেলৰে মন্ত্ৰীয়ে কৰ্ম পৰিষদৰ দাবী প্ৰায় মানি লৈছে আৰু ৰঙিয়াত ডিভিজন স্থাপন কৰিবলৈ সন্মত হৈছে। গতিকে কৰ্ম পৰিষদে প্ৰস্তাৱিত 'অসম বন্ধ' প্ৰত্যাহাৰ কৰিব লাগে। কোৱা বাহুল্য মাথোন যে অসমৰ খোদ বিত্ত-মন্ত্ৰীৰ পৰাই এনে এটা তাঁৰ-বাৰ্তা পোৱাৰ পিচত আন্দোলন চলাই যোৱাৰ নিশ্চয় কোনো প্ৰশ্ন উঠিব নোৱাৰে। 'অসম বন্ধ' প্ৰত্যাহাৰ কৰা হ'ল। দিন যাবলৈ ধৰিলে, কিন্তু ৰঙিয়াত ডিভিজন স্থাপন কৰাৰ কোনো উম-ঘাম দেখা নগ'ল। অসমৰ মানুহ যেতিয়া পুনৰ অতিষ্ঠ হৈ পৰিল, চাৰিওপিনে হুলস্থুল লাগিল, এই বাৰহে ৰেলৰে মন্ত্ৰীৰ জোলোঙাৰ পৰা আচল মেকুৰীটো ওলাই পৰিল। ৰঙিয়াত ৰেলৰে ডিভিজন স্থাপন কৰিবলৈ কোনো উদ্যোগ কৰা হোৱা নাই, তাৰ কাৰণ বোলে ৰঙিয়াত এতিয়াই ডিভিজন স্থাপন কৰিবৰ কোনো কথাই নাই। ফৰিদাবাদত ৰেলৰে মন্ত্ৰী ডঃ ৰাম সুভগ সিঙে এই বুলিহে বোলে কৈছিল যে ৰঙিয়াত এজ চুন এজ পছিব্‌ল— অৰ্থাৎ যথাসম্ভৱ সোনকালে ডিভিজন স্থাপন কৰা হ'ব যদিহে ৰেলৰ যাতায়াতৰ অৱস্থাই এনে এটা ডিভিজনৰ প্ৰয়োজনীয়তা প্ৰতিপন্ন কৰিব পাৰে।

ৰাম সুভগ সিঙৰ লগত আলোচনাৰ সময়ত অসমৰ ফালৰ পৰা উপস্থিত আছিল কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী শ্ৰীফখৰুদ্দিন আলি আহমদ, বিত্ত মন্ত্ৰী শ্ৰীকামাখ্যাপ্ৰসাদ ত্ৰিপাঠী আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী। অতি আচৰিত কথা যে অসমৰ জনসাধাৰণে বি সময়ত ৰেলৰে ডিভিজন প্ৰতিষ্ঠাৰ দাবীত দীঘলীয়া সংগ্ৰামৰ আঁচনি কৰিব লগা হৈছে আৰু অসমৰ সৰ্ব-জন-শ্ৰদ্ধেয় স্বয়ং মুখ্যমন্ত্ৰীকো মিছলীয়া বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা হৈছে, তেনে অৱস্থাত এই তিনিজন নেতাৰ এজনেও ফৰিদাবাদত ৰেলৰে মন্ত্ৰীৰ লগতনো আচলতে কি কথা-বাৰ্তা হৈছিল সেই বিষয়ে এটা ৰাজহুৱা বিবৃতি দি অসমৰ ৰাইজৰ মনৰ সংশয় আৰু কৌতূহলবোৰ দূৰ কৰাৰ প্ৰয়োজন অনুভৱ কৰা নাই। কিন্তু তেওঁলোক নীৰৱ হৈ থাকিলে নচলিব, তেওঁলোকে অসমৰ ৰাইজৰ কেইটামান প্ৰশ্নৰ উত্তৰ দিবই লাগিব। তাৰে প্ৰথম আৰু প্ৰধান প্ৰশ্নটো হ'ল : (১) ফৰিদাবাদত হোৱা আলোচনাত আৰু সেই আলোচনাৰ ভেটিত যুগুত কৰা চুক্তিপত্ৰখনত "যথাসম্ভৱ সোনকালে" (as soon as possible) শব্দ কেইটা আছিল নে নাই? যদি নাছিল আৰু ৰঙতে

সন্দেহ কৰাৰ দৰে সেই শব্দকেইটা কেলৰে ব'র্ডৰ ধমকত কম্পমান হোৱা ডঃ ৰাম সুভক সিঙৰ মুখ বন্ধ কৰিবলৈ পিচতহে জোৰা লগাই দিয়া হৈছিল, তেন্তে অসমৰ প্ৰতিনিধিত্ব কৰা এই তিনিজন নেতাৰ এজনেও আজিলৈকে সেই কথাষাৰ মুখ খুলি কৈ দিয়া নাই কিয়? নে তেওঁলোকো ৰাম সুভক সিঙৰ লগতেই অসমৰ বিৰুদ্ধে হোৱা কেন্দ্ৰীয় ষড়যন্ত্ৰৰ সমান অংশীদাৰ? (২) দ্বিতীয়তে যদিহে ডঃ সিঙে তেওঁলোকক ফৰিদাবাদৰ আলোচনাত স্পষ্টভাৱেই কৈ দিছিল যে ৰঙিয়াত ডিভিজন পতা হ'ব— কিন্তু এতিয়াই নহয়, 'যথাসম্ভৱ সোনকালেহে' পতা হ'ব— তেতিয়া হ'লে এই 'যথাসম্ভৱ সোনকালে' শব্দকেইটাৰ অৰ্থ কি সেই কথা তেওঁলোকে ৰেলৰে মন্ত্ৰীক সুধিছিল নে? 'যথাসম্ভৱ সোনকালে' মানে এবছৰো হ'ব পাৰে, বিশবছৰো হ'ব পাৰে; 'সম্ভৱ' কোনে কৰি তুলিব সিও এটা প্ৰশ্নৰ বিষয়। গতিকে যি মুহূৰ্ততে ৰেলৰে মন্ত্ৰীয়ে ক'লে যে ৰঙিয়াত 'যথাসম্ভৱ সোনকালে' এটা ডিভিজন পতা হ'ব, সেই মুহূৰ্ততে 'যথা-সম্ভৱ সোনকালে' শব্দকেইটাৰ কি অৰ্থ হ'ব পাৰে সেই বিষয়ে প্ৰশ্ন হোৱা স্বাভাৱিক। এনে এটা কথা নিশ্চয় কল্পনাও কৰিব নোৱাৰি যে ডঃ ৰাম সুভগ সিঙে যথাসম্ভৱ সোনকালে ৰঙিয়াত ডিভিজন হ'ব বুলি ক'লে, আৰু সেই কথা শুনিয়েই শ্ৰীকামাখ্যাপ্ৰসাদ ত্ৰিপাঠী, শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আৰু শ্ৰীফখৰুদ্দিন আহমদৰ পদমৰ্য্যাদাৰ তিনিজন ভদ্ৰলোকে এবছৰমানৰ ভিতৰতে ৰঙিয়াত ডিভিজন হ'ব বুলি ভাবি আনন্দত উৎফুল্লীকৃত হৈ বিনা-বাক্য-ব্যয়ে চুক্তি-পত্ৰখনত খচ খচ কৰি চহী কৰি দিলে। যদি তেওঁলোকে ঠিক তাকেই কৰিছিল, তেন্তে আৰু এক মুহূৰ্তৰ কাৰণেও তেওঁলোকৰ নিজ নিজ পদত থাকিবৰ অধিকাৰ নাই, আনকি গণতন্ত্ৰতো নিৰ্বুদ্ধিতা সহ্য কৰাৰ এটা সীমা থকা উচিত। কিন্তু যদিহে তেওঁলোকে ডঃ ৰাম সুভগ সিঙৰ পৰা 'যথা সম্ভৱ সোনকালে' শব্দকেইটাৰ এটা ব্যাখ্যা বিচাৰিছিল আৰু অন্ততঃ কিমান দিনৰ মূৰত ৰঙিয়াত ডিভিজন স্থাপন কৰা সম্ভৱ হ'ব পাৰে তাৰ এটা আভাস বিচাৰিছিল, তেন্তে ডঃ ৰাম সুভগ সিঙে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰত কি কৈছিল সেই কথা অসমৰ ৰাইজে এতিয়ালৈকে জানিব পৰা নাই; অতি সোনকালে ভাগৱতী-ত্ৰিপাঠী-আহমদে এই প্ৰশ্নৰ উত্তৰ দিব লাগিব।

শ্ৰীচলিহাই কিছুদিনৰ আগতে এখন তাঁৰ যোগে কৰ্ম পৰিষদক জনাইছিল— 'ডঃ ৰাম সুভগ সিঙে টেলিফোন যোগে তেওঁক (চলিহা)ক জনাইছিল যে ৰঙিয়াত ডিভিজন স্থাপন কৰা হ'ব, গতিকে কৰ্ম পৰিষদে প্ৰস্তাৱিত আন্দোলন প্ৰত্যাহাৰ কৰিব লাগে।' কিন্তু ডঃ ৰাম সুভগ সিঙে সজোৰে ঘোষণা কৰি ফুৰিছে যে তেওঁ শ্ৰীচলিহাক তেনেকৈ কেতিয়াও কোৱা নাছিল। ডঃ সিঙৰ কথাৰ তিনিটা মাত্ৰ অৰ্থ হ'ব পাৰে— হয় চলিহা কলা নহয় চলিহাই ইংৰাজী বুজি নাপায়, নহয় তেওঁ মিছলীয়া।

কিন্তু আমি জানো যে চলিহা এইবোৰৰ এটাও নহয়। যি ভাবে কেন্দ্ৰৰ ডিভিজন প্ৰশ্নটোৰ সম্পৰ্কত অসমৰ কংগ্ৰেছ নেতৃত্ব আজি কেন্দ্ৰৰ দ্বাৰা লাঞ্ছিত, প্ৰতাৰিত আৰু অপমানিত হৈছে তেনেকৈ আৰু কেতিয়াও হোৱা বুলি মনত নপৰে। ই কি অসমত কংগ্ৰেছৰ ধংসৰ আগজাননী? ই কি কংগ্ৰেছৰ চূড়ান্ত অন্তৰ্বিৰোধ আৰু নৈতিক পতনৰ লক্ষণ? ই কি গণতন্ত্ৰৰ অগ্নি-পৰীক্ষাৰ মুহূৰ্ত?

অসমত ৰেলৰে ডিভিজন হওক নহওক সেইটো পিচৰ কথা, কিন্তু শ্ৰীচলিহা আৰু তেওঁৰ সতীৰ্থসকলে নিজকে মিথ্যা-ভাষণ আৰু বালসুলভ নিৰ্বুদ্ধিতাৰ অভিযোগৰ পৰা কেনেকৈ মুক্ত কৰে তাৰ প্ৰতিহে অসমৰ জনসাধাৰণে তীক্ষ্ণ আৰু সতৰ্ক দৃষ্টি ৰাখিছে।

সাপ্তাহিক নীলাচল, ৪৫ সংখ্যা : ১৩ আগষ্ট, ১৯৬৯ চন

পৰিবৰ্তনৰ ধুমুহা

আফ্ৰিকা মহাদেশৰ জাগ্ৰত জনতাৰ মনোভাবৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাক্তন বৃটিছ প্ৰধানমন্ত্ৰী শ্ৰীহেৰল্ড মেক্‌মিলানে এবাৰ মন্তব্য কৰিছিল যে সেই মহাদেশৰ ওপৰদে পৰিবৰ্তনৰ বতাহ বলিবলৈ আৰম্ভ কৰিছে, তাক বাধা দিবলৈ কাৰো সাধ্য নাই। সাংবাদিকৰ হাতত পৰি সেই শব্দ দুটা আজি-কালি আমাৰ দৈনন্দিন ৰাজনৈতিক ভাষাৰ অঙ্গস্বৰূপ হৈ পৰিছে। ভাৰতবৰ্ষৰ সাম্প্ৰতি ঘটনাপ্ৰবাহ লক্ষ্য কৰি মনলৈ এবাৰ ভাব আহিল যে আমাৰ দেশতো নিশ্চয় সেই পৰিবৰ্তনৰ বতাহ অলপ কোবাল গতিৰেই বলিবলৈ আৰম্ভ কৰিছে; কিন্তু পিচ মুহূৰ্ত্ততেই সেই ভুল ভাগিল; ভাৰতবৰ্ষৰ ওপৰেদি যিজাক বতাহ এতিয়া প্ৰচণ্ড বেগেৰে বলিব ধৰিছে সি পৰিবৰ্তনৰ বতাহ নহয়, সি হ'ল পৰিবৰ্তনৰ ধুমুহা। এই ধুমুহাই কাক কোন ফালে উৰুৱাই লৈ যায় সেই কথা নিশ্চিতভাৱে জানিবলৈ কিছু সময় লাগিব।

ধুমুহাজাক অৱশ্যে আৰম্ভ হৈছিল ১৯৬৭ চনতেই। কিন্তু এতিয়া দিনে দিনে তাৰ কোব বাঢ়িব ধৰিছে। এই ধুমুহাই আটাইতকৈ বেছি লণ্ড-ভণ্ড কৰি তুলিছে কংগ্ৰেছৰ প্ৰাচীন ঐতিহ্য-মণ্ডিত কিন্তু এতিয়া জৰাজীৰ্ণ হৈ পৰা বিৰাট সৌধটো। বহু বছৰ ধৰি এই সৌধটো ভাগোঁ ভাগোঁ অৱস্থাত কঁপি আছিল, কিন্তু এতিয়া ছটাছটে তাৰ পকী বেৰ আৰু খুটাবোৰ ধুমুহাৰ জোকাৰণিত খহি পৰিব ধৰিছে। তাৰ পতনৰ প্ৰচণ্ড শব্দ আমাৰ কাণত আহি পৰিছে কংগ্ৰেছৰ বাঙ্গালোৰ অধিৱেশনৰ দুৰ্বাদল কাঁজিয়াৰ ৰূপত, শ্ৰীমোৰাৰজী দেশাই মন্ত্ৰীৰ গাড়ীৰ পৰা খহি পৰাৰ ৰূপত, শ্ৰীমতী তাৰকেশ্বৰী সিংহৰ প্ৰবন্ধক আলম কৰি কংগ্ৰেছ পাৰ্লিয়ামেণ্টেৰী বৰ্ডৰ সভাত হোৱা হিংস্ৰ কলহৰ ৰূপত, শ্ৰীমতী ইন্দিৰা গান্ধীৰ ক্ৰুদ্ধ ৰণ-হুঙ্কাৰৰ ৰূপত, লোকসভাৰ অধ্যক্ষৰ সিদ্ধান্তৰ প্ৰতিবাদত কংগ্ৰেছী সদস্যই সভা-গৃহ ত্যাগ কৰাৰ নিচিনা অভাৱনীয় কাৰ্য্যৰ ৰূপত; মুঠতে চাৰিওফালে কেৱল ধুমুধাম পতনৰ শব্দ। মুঠতে এটা কথাত কোনো ভুল নাই যে সুদীৰ্ঘ কালৰ ঐতিহ্যমণ্ডিত কংগ্ৰেছ অনুষ্ঠানৰ এতিয়া একেবাৰে শেষ অৱস্থা; যি কোনো মুহূৰ্ত্ততেই সি সম্পূৰ্ণ ধৰাশায়ী হ'ব আৰু তাৰ লগে লগেই ভাৰতৰ ৰাজনৈতিক ইতিহাসৰ এটা ঘটনা-বহুল যুগৰ অন্ত পৰিব। ইয়াৰ পিচতো হয়তো কংগ্ৰেছ দলৰ অস্তিত্ব থাকিব, হয়তো সেই দলে শাসন ক্ষমতাৰ অংশও পাব কিন্তু সি হ'ব একেবাৰে বেলেগ আকৃতি আৰু বেলেগ প্ৰকৃতিৰ কংগ্ৰেছ।

কংগ্ৰেছে ভাৰতৰ জাতীয় জীৱনত ইমান এখন বিৰাট ঠাই অধিকাৰ কৰি আছিল যে আন কোনো এটা ৰাজনৈতিক দলৰ পক্ষেই অকলশৰে সেই ঠাই পূৰ কৰা সম্ভৱ নহয়। এদিন হয়তো সম্ভৱ হ'ব, কিন্তু তাৰ কাৰণে যথেষ্ট সময় লাগিব। মাজৰ এই সময়খিনিত বিভিন্ন দল-উপদল একত্ৰিত হোৱাৰ প্ৰয়োজন হ'ব। ভাৰতবৰ্ষত সম্প্ৰতি তিনিটা সুস্পষ্ট গোষ্ঠীৰ অস্তিত্ব দেখা হৈছে : দক্ষিণ পন্থীৰ স্বতন্ত্ৰ, জনসংঘ আৰু ভাৰতীয় ক্ৰান্তি দল, মধ্যম-পন্থী কংগ্ৰেছ আৰু পি. এচ. পি., আৰু বাঁও পন্থী কমিউনিষ্ট-সংযুক্ত চচিয়েলিষ্ট পাৰ্টি ইত্যাদি। কিন্তু ভাৰতবৰ্ষৰ জনতাৰ হতাশা ইমান গভীৰ আৰু দাবী ইমান হিংস্ৰ হৈ উঠিছে যে এনে অৱস্থাত মধ্যম পন্থী দলসমূহ কাৰ্য্যকৰী হৈ থাকিব পৰাৰ সম্ভাৱনা নিচেই কম; উগ্ৰ সমস্যাই সদায় উগ্ৰ সমাধান দাবী কৰে। অদূৰ ভৱিষ্যতত কংগ্ৰেছ সম্পূৰ্ণ দুফাল হৈ আৰু নিজৰ নিজৰ স্বাৰ্থবুদ্ধি আৰু আদৰ্শৰ

দ্বাৰা চালিত হৈ সোঁ বা বাঁও কোনোবা এটা গোষ্ঠীৰ লগত নিজকে সংযুক্ত কৰিব লাগিব। অৱশেষত ভাৰতৰ ৰাজনৈতিক দলসমূহে এইদৰে দুটা সুস্পষ্ট পক্ষত বিভক্ত হৈ ক্ষমতাৰ অন্তিম যুদ্ধৰ কাৰণে পৰস্পৰৰ মুখামুখি হ'ব লাগিব। কোৱা বহুল্য মাথোন যে অদূৰ ভৱিষ্যতৰ সেই কুৰুক্ষেত্ৰ মহাসমৰৰ কাৰণেই এতিয়া উদ্যোগ পৰ্ব চলিব লাগিছে। কুৰুক্ষেত্ৰ যুদ্ধ ওঠৰ দিনতে শেষ হৈছিল, কিন্তু আধুনিক ভাৰতৰ এই নতুন কুৰুক্ষেত্ৰ ওঠৰ দিন কিয়, ওঠৰ মাহতো শেষ হোৱাৰ কোনো আশা নাই। সুদীৰ্ঘ কাল ধৰি, খুব সম্ভৱ এই শতাব্দীৰ শেষ দশক পৰ্য্যন্ত এই যুদ্ধ চলি থাকিব,— আৰু তাৰ শেষ ফলাফল যিয়েই নহওক, ভাৰতবৰ্ষৰ জনতাই এই যুদ্ধৰ কাৰণে চৰম মূল্য দিব লাগিব।

দিল্লীত ৰথী-মহাৰথীৰ অস্ত্ৰৰ ঝন্‌ঝননি উঠিব ধৰিছে, কিন্তু সেই ঝন্‌ঝননিক তল পেলাই দেশৰ সৰ্বত্ৰ গজি উঠিছে ধৈৰ্য্যহীন মানুহৰ ক্ৰুদ্ধ চিৎকাৰ, বোমাৰ গৰ্জন, পুলিচৰ বিদ্ৰোহ, গৰীবৰ আৰ্তনাদ। দেশৰ আকাশ-বতাহে অবদমিত হিংসাৰ উত্তেজনা। এবাৰ যদি সেই হিংসাই ফেট তুলি থিয় হ'বলৈ সুবিধা পায় তেন্তে তাৰ প্ৰথম বলি হ'ব গণতন্ত্ৰৰ আদৰ্শ। নিজে ক'ব নোৱাৰাকৈয়ে দেশ আজি বোধহয় প্ৰস্তুত হ'ব ধৰিছে কোনো স্বেচ্ছাচাৰী এক নায়কৰ আবিৰ্ভাৱৰ কাৰণে।...

কথাখিনি লিখি শেষ কৰিয়েই হঠাৎ মনত পৰিল, আৰু এদিন পিচতে পবিত্ৰ স্বাধীনতা দিৱস, অহা ১৫ আগষ্টৰ দিনা ভাৰতবৰ্ষই স্বাধীনতা লাভৰ ২২ বছৰ পূৰ্ণ কৰিব।

সাপ্তাহিক নীলাচল, ৪৬ সংখ্যা : ২০ আগষ্ট, ১৯৬৯ চন

চোৰ আৰু কুকুৰ

বহুতো মানুহে নিজৰ ধন-সম্পত্তি পহৰা দিবলৈ কুকুৰ পোহে। ৰাতি চোৰ আহিলে কুকুৰে ভুকিবলৈ আৰম্ভ কৰে, আৰু ফলত গৃহস্থই সাৰ পাই চোৰক খেদা ধৰে। কিছুমান বুধিমান চোৰে এই সমস্যা সমাধান কৰিবৰ কাৰণে এটা বিশেষ কৌশল অৱলম্বন কৰে। সিহঁতে লগত মাংসৰ টুকুৰা লৈ আহে, আৰু কুকুৰে ভুকিবলৈ মুখ মেলিবলৈ পোৱাৰ আগতে তাৰ আগত এটুকুৰা মাংস দলি মাৰি দিয়ে। বেছিভাগ কুকুৰৰ পক্ষেই মাংসৰ লোভ দমন কৰা কঠিন হৈ পৰে আৰু ভুকিবলৈ এৰি সিহঁত মাংস খোৱাত ব্যস্ত হৈ পৰে। সেই সুযোগতে চোৰে নিজৰ কাৰ্য্য সমাধা কৰে।

কবিতাৰ কাহিনীৰ অৱতাৰণাক বিদ্রূপ কৰিবলৈ গৈ সুপ্ৰসিদ্ধ ইংৰাজ কবি আৰু সমালোচক টি. এচ. এলিয়টে তেওঁৰ কোনোবা এটা প্ৰবন্ধত চোৰ আৰু কুকুৰৰ এই উপমাটো ব্যৱহাৰ কৰিছে। চোৰে মাংস দি কুকুৰৰ মুখ বন্ধ কৰি নিজৰ চুৰি-কাৰ্য্য সমাধা কৰাৰ দৰে কিছুমান লিখকে কবিতাত প্লট বা কাহিনীৰ দ্বাৰা পাঠকক ব্যস্ত ৰাখি নিজৰ আচল কাৰ্য্য অৰ্থাৎ শব্দৰ মায়া-সৃষ্টিৰ কাৰ্য্য সমাধা কৰে। সাহিত্যৰ চিৰিয়াচ্ ছাত্ৰসকলে এলিয়ট চাহাবৰ এই বিখ্যাত উক্তিৰ লগত নিশ্চয় ভালকৈ পৰিচিত।

যিহেতু সদ্যহতে কবিতা আমাৰ আলোচ্য বিষয় নহয়, সেই কাৰণে এটা সম্পূৰ্ণ বেলেগ প্ৰসঙ্গতহে চোৰ আৰু কুকুৰৰ উপমাটো আমাৰ মনলৈ আহিল। ঘৰ পহৰা দিবলৈ যেনেকৈ কুকুৰ থাকে, তেনেকৈ সমাজৰ স্বাৰ্থ আৰু বিবেক পহৰা দিবলৈকো কিছুমান মানুহ থাকে। এই মানুহবিলাকৰ কিছুমানক সমাজে নিয়োগ কৰে, কিছুমানে নিজৰ বিবেকৰ নিৰ্দ্দেশতে সেই কামলৈ আগবাঢ়ি যায়। কোৱা বহুল্য মাথোন যে এই মানুহবিলাকৰ দায়িত্বজ্ঞান আৰু কৰ্তব্যপৰায়ণতাৰ ওপৰতেই সমাজৰ কল্যাণ আৰু নিৰাপত্তা বহু পৰিমাণে নিৰ্ভৰ কৰে। সমাজক লুণ্ঠন কৰি বা সমাজৰ সৰ্বস্ব অপহৰণ কৰি নিজৰ ভঁৰাল চহকী কৰিবলৈ বিচৰা চোৰ-ডকাইতৰ সংখ্যা একেবাৰে কম নহয়, আৰু কিছুমান বিবেক-সম্পন্ন অতন্দ্ৰ প্ৰহৰীৰ অবিহনে এই চোৰ-ডকাইতবোৰৰ অভিসন্ধিৰ সম্মুখত সমাজখন এদিনৰ কাৰণেও নিৰাপদ নহয়। অসাধু শোষক ব্যৱসায়, স্বাৰ্থান্ধ ৰাজনীতিজীৱী, লোভী আৰু নিচমনা ৰাজ-বিষয়া— এই সকলেই হ'ল আমাৰ সমাজৰ চোৰ-ডকাইত; আৰু সাংবাদিক, বুদ্ধিজীৱী, বিপ্লৱী ৰাজনৈতিক কৰ্মী, সমাজ সমলোচক, ছাত্ৰ সম্প্ৰদায়— এই সকল হ'ল সমাজৰ সম্পত্তি আৰু বিবেক পহৰা দিয়া কুকুৰ। এই কথা সম্প্ৰতি সকলোৱে নিশ্চয় লক্ষ্য কৰিছে যে আমাৰ সমাজত বৰ্তমান চোৰ-ডকাইতৰ উৎপাত বাঢ়িছে, এপদ এপদকৈ সমাজৰ সকলো সা-সম্পত্তি আৰু বিবেক চোৰৰ হস্তগত হৈছে, এক কথাত ক'বলৈ গ'লে দেশত চোৰৰ অবাধ ৰাজত্ব চলিছে। এইটো কেনেকৈ সম্ভব হ'ল? আমাৰ সমাজখনক পহৰা দিয়া আৰু সমাজৰ সৰ্বশ্ৰেষ্ঠ সম্পদ বিবেকক পহৰা দিয়া কুকুৰবোৰ ক'লৈ গ'ল? তাৰ একমাত্ৰ উত্তৰ এয়েই যে বুদ্ধিমান চোৰে এই ক্ষেত্ৰতো চিৰকালৰ সেই ক্লাছিক কৌশল অৱলম্বন কৰিছে, মাংসৰ টুকুৰাৰে কুকুৰৰ মাত বন্ধ কৰি নিজৰ কাম হাচিল কৰিছে। কোনোবা ডেকাই দুৰ্নীতিপৰায়ণ ৰাজনীতিজীৱীৰ বিৰুদ্ধে বৰকৈ মাত মাতিছে— দিয়া তেওঁক এটা ভাল

চাকৰি বা বিদেশত পঢ়িবলৈ বৃত্তি। থলুৱা লোকৰ স্বাৰ্থৰক্ষাৰ হকে কোনোবাই চিঞৰ-বাখৰ লগাইছে,— দিয়া তেওঁক এটা শকত ধনৰ টোপোলা বা ভাল এটা চাকৰি বা ব্যৱসায়ৰ এটা অংশ। কোনোবা সাংবাদিকে কাৰোবাৰ দুৰ্নীতিৰ স্বৰূপ উন্মোচন কৰি দিয়াৰ আশঙ্কা আছে,— দিয়া তেওঁক এখন মটৰ গাড়ী বা হাজাৰ-অযুত টকাৰ স্থায়ী বিজ্ঞাপনৰ প্ৰলোভন। কোনোবা লিখক বা বুদ্ধিজীৱীয়ে সামাজিক অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে নিৰ্মমভাৱে কলম চলাইছে,— দিয়া তেওঁক আওপাকে সোপাকে নানাবিধ লাভজনক লিখনী-কৰ্মৰ কণ্ট্ৰেক্ট বা বিদেশ ভ্ৰমণৰ সুবিধা। কোনোবা ছাত্ৰনেতা বা ডেকা ৰাজনৈতিক কৰ্মীয়ে বিপ্লৱৰ ভয় দেখুৱাইছে— দিয়া তেওঁক এম. এল.এ, এম. পি. হোৱাৰ এটি টিকট বা অদূৰ ভৱিষ্যতত মন্ত্ৰী পতাৰ প্ৰলোভন। উদাহৰণ বঢ়াই লাভ নাই, তাকে কৰিবলৈ হ'লে সম্পূৰ্ণ এখন মহাভাৰত লাগিব। মুঠ কথা এয়েই যে যি সকল লোক আজি সমাজৰ পহৰা দিয়া কাৰ্য্যত নিযুক্ত আছে সেই সকল লোকৰ সকলোৱেই নিশ্চয় নহয়, কিন্তু বহুতেই চোৰে তেওঁলোকৰ মুখৰ আগত দলিয়াই দিয়া মাংসৰ টুকুৰা চোবোৱাত ব্যস্ত হৈ ভুকিবলৈ সমূলি পাহৰি গৈছে, আৰু তেওঁলোকৰ এই কৰ্তব্য বিমুখতাৰ ফলত সমাজ সৰ্বস্বান্ত হ'ব ধৰিছে। কুকুৰৰ মুখত মাত নাই, কিন্তু চোৰৰ বিজয় উল্লাসৰ হাঁহিত কাণ ফাটি যোৱাৰ উপক্ৰম হৈছে।

সমাজ সাৱধান হ'বৰ হ'ল। পাৰিলে তেওঁলোকে কুকুৰবোৰ বদলি কৰক, নোৱাৰিলে মাংসৰ লোভত ভুকিবলৈ পাহৰা কুকুৰবোৰক চিনি থওক। এদিন নিশ্চয় আহিব হিচাব-নিকাচৰ দিন, বিচাৰৰ দিন, সাক্ষী দিয়াৰ দিন।

সাপ্তাহিক নীলাচল, ৪৭ সংখ্যা ঃ ২৭ আগষ্ট, ১৯৬৯ চন

নতুন ৰাষ্ট্ৰপতি

ৰাষ্ট্ৰপতি নিৰ্বাচনক কেন্দ্ৰ কৰি যোৱা প্ৰায় এমাহ কাল ধৰি ভাৰতত কেতবোৰ অভূতপূৰ্ব নাটকীয় ঘটনা ঘটি গ'ল। সেইবোৰৰ সম্পূৰ্ণ ইতিহাস আৰু তাৎপৰ্য্য জনসাধাৰণৰ আগত উদ্‌ঘাটিত হ'বলৈ কিছু সময় লাগিব। দুৰ্ভাগ্যৰ কথা যে ভাৰতত থিয়োডৰ্ হোৱাইটৰ সমগোত্ৰীয় কোনো লিখক নাই। থকা হ'লে আমি ইয়াতো 'ডি মেকিং অব এ প্ৰেছিডেণ্ট' জাতীয় কিতাপ এখন নিশ্চয় পঢ়িবলৈ পালোঁহেঁতেন, আৰু সেই কিতাপে সমগ্ৰ বিশ্বতে চাঞ্চল্য আৰু কৌতূহলৰ সৃষ্টি কৰিলেহেঁতেন। মধুৰ অভাৱত গুৰৰ দৰে আমি এতিয়া এনে এখন পূৰ্ণাঙ্গ মহা নাটকৰ পৰিবৰ্তে বাতৰি কাকতৰ বিবৃত্তি আৰু ৰিপোৰ্টতে সন্তুষ্ট থাকিব লগা হৈছে।

ভাৰতীয় গণৰাজ্যৰ উনৈশ বছৰৰ বুৰঞ্জীত সৰ্ব-প্ৰথম এই বাৰৰ কাৰণে এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে সংখ্যা-গৰিষ্ঠ শাসক দলৰ প্ৰাৰ্থীক পৰাজিত কৰি ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল। কোৱা বাহুল্য মাথোন যে শাসক দল অৰ্থাৎ কংগ্ৰেছ দলৰ মাজত বিভাজন হোৱাৰ ফলতেই এই ঘটনা সম্ভৱ হ'ল। সম্প্ৰতি গোটেই দেশতে এটা ৰাজনৈতিক বিতৰ্ক চলিছে যে এই বিভাজন আদৰ্শৰ ভেটিত হোৱা নাই— সি হৈছে কংগ্ৰেছৰ শীৰ্ষ-স্থানীয় নেতাসকলৰ ক্ষমতাৰ যুদ্ধৰ ভেটিতহে। এনে এটা বিতৰ্কৰ সমসাময়িক কিবা মূল্য বা উদ্দেশ্য থাকিলেও ইতিহাসৰ সামগ্ৰিক পৰিপ্ৰেক্ষিতত ইয়াৰ কোনো অৰ্থ নাই যেন লাগে। ইতিহাসৰ বহুতো যুগান্তকাৰী ঘটনাৰেই সূচনা-বিন্দু অতি অকিঞ্চিৎকৰ বা ব্যক্তিগত বুলি জনা যায়, কিন্তু তাৰ দ্বাৰা সেই ঘটনাৰ প্ৰভাৱ বা পৰিণামৰ তাৰতম্য নঘটে। ক্লিঅ'পেট্ৰাৰ নাকটো আৰু এআঙুলমান চুটি হোৱা হ'লে কি হ'লহেঁতেন সেইটো বহুতো ৰসিক কল্পনাপ্ৰৱণ মানুহৰ চিন্তাৰ বিষয় হ'লেও ইতিহাসৰ মূল্যায়ন বা বিচাৰত তেনেবোৰ চিন্তা অকণো সহায়ক নহয়। এটা কথাত কোনো সন্দেহ নাই যে কংগ্ৰেছৰ ভিতৰত সম্প্ৰতি দুটা গোষ্ঠীৰ মৰণ-পণ যুদ্ধ চলিছে, আৰু সেই যুদ্ধৰ মূলতে আছে প্ৰতিটো গোষ্ঠীৰে নিৰঙ্কুশ ক্ষমতা দখলৰ ইচ্ছা। এই কথাও খুব বিশ্বাসযোগ্য যে নিজৰ ব্যক্তিগত স্থিতি বা ক্ষমতা বিপদাপন্ন হোৱাৰ সম্ভাৱনা নথকা হ'লে শ্ৰীমতী ইন্দিৰা গান্ধীয়ে ১৯৫৪ চনৰ পৰা গাপ দি থোৱা বেঙ্ক জাতীয়কৰণৰ প্ৰস্তাৱ ইমান ততাতৈয়াকৈ কাৰ্য্যকৰী কৰিবলৈ তৎপৰ হৈ নুঠিলেহেঁতেন বা কংগ্ৰেছৰ ৰক্ষণশীল প্ৰবীণ নেতৃবৃন্দৰ বিৰুদ্ধে ইমান মৰসাহসেৰে বিদ্ৰোহ ঘোষণাও নকৰিলেহেঁতেন। কিন্তু লগতে এই কথাও সত্য যে ১৯৬৭ চনৰ পিচৰে পৰা ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ আমূল পৰিবৰ্তন নঘটা হ'লে বা প্ৰগতিশীল বাওঁপন্থী শক্তিসমূহে শ্ৰীমতী গান্ধীৰ পক্ষ সমৰ্থন কৰিবলৈ আগবাঢ়ি নহা হ'লে তেওঁ কেতিয়াও কংগ্ৰেছ ৰক্ষণশীল ৰাজনৈতিক আৰু অৰ্থনৈতিক দৰ্শনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিবলৈ সাহ কৰিব নোৱাৰিলেহেঁতেন। গতিকে এনে এটা সিদ্ধান্তই বোধহয় অধিক শুদ্ধ হ'ব যে ইতিহাসৰ অমোঘ নিয়মত বাহিৰত সাম্প্ৰতিক ঘটনাৱলী যি বাটেৰে আগবাঢ়িছে সেইবোৰক সেই বাটেৰে পৰিচালিত কৰাত শ্ৰীমতী গান্ধীয়ে নিমিত্তৰূপে কাম কৰিছে। ঠিক

এনে এটা পৰিস্থিতিতে ভাৰতীয় গণৰাজ্যৰ চতুৰ্থ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছে ৭৫ বছৰীয়া শ্ৰমিক নেতা আৰু অভিজ্ঞ প্ৰশাসক শ্ৰীভি. ভি. গিৰি। ইতিহাসে কিছুমান মানুহক তেওঁলোকৰ ব্যক্তিত্বৰ প্ৰাপ্যতকৈ বেছি তাৎপৰ্য্য আৰু গৰিমাৰে মণ্ডিত কৰে। শ্ৰীগিৰিও তেনে এজন লোক বুলি প্ৰমাণিত হৈছে। শ্ৰীগিৰিৰ পূৰ্বতে যি তিনিজন লোকে ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদ শুৱনি কৰিছিল তেওঁলোকৰ তুলনাত শ্ৰীগিৰি নিশ্চয় কিছু নিষ্প্ৰভ, কিন্তু এতিয়া তেওঁৰ নামটোহে বা তেওঁৰ কাৰ্য্য-কালহে আধুনিক ভাৰতৰ ইতিহাসত এটা মাইলৰ খুঁটি হিচাপে চিহ্নিত হোৱাৰ সম্ভাৱনাই দেখা দিছে। ভৱিষ্যতৰ ঐতিহাসিকে এই কথা নিশ্চয় বিশেষভাৱে স্মৰণ কৰিব যে শ্ৰীগিৰিৰ নাম-চহীতেই বেঙ্ক জাতীয়কৰণৰ অধ্যাদেশ ঘোষিত হৈছিল আৰু তাৰ দ্বাৰাই ৰক্ষণশীল অৰ্থনৈতিক দৰ্শনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল, শ্ৰীগিৰিক উপলক্ষ্য কৰিয়েই কংগ্ৰেছ দলত ভাঙনৰ সূচনা হৈছিল, শ্ৰীগিৰিৰ কাৰ্য্যকালতেই ভাৰতবৰ্ষত সুদূৰপ্ৰসাৰী ৰাজনৈতিক পৰিবৰ্তনৰ আৰম্ভণি হৈছিল।

ভাৰতৰ ৰাজনৈতিক ৰঙ্গমঞ্চত সম্প্ৰতি চলি থকা শ্বাসৰোধনকাৰী উত্তেজনাপূৰ্ণ নাটকখনৰ যৱনিকা পৰিবলৈ এতিয়াও বহুতো বাকী। প্ৰতিটো দিনেই একো একোটা ন ন দৃশ্যৰ অৱতাৰণা কৰিছে আৰু কৰিব। কংগ্ৰেছ দল এক হৈ থাকেনে দ্বিধা-বিভক্ত হৈ যায়, শ্ৰীমতী গান্ধীয়ে প্ৰধান মন্ত্ৰী হৈ থাকে নে আন কোনোবা হয়, কেন্দ্ৰত একদলীয় চৰকাৰেই থাকেনে কোৱালিচন্ চৰকাৰ হয়— এই প্ৰতিটো কথাই একোটা বিৰাট প্ৰশ্নবোধক চিন হৈ দেশবাসীৰ আগত দেখা দিছে। কিন্তু ঘটনাই যি ৰূপেই নলওক, কেন্দ্ৰত যি চৰকাৰেই নাথাওক, অহা ৫ বছৰৰ কাৰণে শ্ৰীগিৰি ভাৰতৰ ৰাজনৈতিক ঘূৰ্ণ্যাবৰ্তৰ কেন্দ্ৰ-বিন্দুত বিৰাজ কৰি আৰু তেওঁ বহুতো ঐতিহাসিক সিদ্ধান্ত লোৱাৰ প্ৰয়োজন হ'ব— এই কামৰ কাৰণে ঈশ্বৰে তেওঁক শক্তি দিয়ক, এয়ে আমাৰ প্ৰাৰ্থনা।

অসমৰ ৰাজধানী

অসমৰ ৰাজধানী চিলঙৰ পৰা স্থানান্তৰিত কৰি ভৈয়ামৰ কোনো এখন কেন্দ্ৰবৰ্ত্তী ঠাইলৈ আনিব লাগে বুলি বহুদিনৰ পৰাই এটা দাবী উঠি আহিছে। কেতিয়াবা এই দাবী অকস্মাতে উত্তেজিত আৰু সৰৱ হৈ উঠে, আকৌ কেতিয়াবা ই অৰ্দ্ধস্ফুট ভোৰ্ ভোৰণিৰ দৰে মানুহৰ কাণে কাণে বাগৰে। বিভিন্ন অজুহাতত বা বিভিন্ন যুক্তি দৰ্শাই অসম চৰকাৰে এই পৰ্য্যন্ত এই দাবীক বাধা দি আহিছে। সেইবোৰৰ ভিতৰত আটাইতকৈ ডাঙৰ যুক্তি হ'ল এয়েই যে চিলঙত ৰাজ্যখনৰ ৰাজধানী থকাৰ ফলত ই পাহাৰ আৰু ভৈয়ামৰ মাজত এটা আৱেগিক সংযোগ-সূত্ৰৰ দৰে কাম কৰিছে। যদি চিলঙৰ পৰা ৰাজধানী ভৈয়ামলৈ নমাই অনা হয়, তেন্তে পাহাৰীয়া জন-গোষ্ঠীৰ বিচ্ছিন্নতাবোধ অধিক প্ৰবল হৈ উঠিব। ইয়াৰ বাহিৰেও আৰু এটা অনুপেক্ষণীয় যুক্তি অৱশ্যে আছে। সেইটো হ'ল টকা-পইচাৰ প্ৰশ্ন। ৰাজ্য এখনৰ ৰাজধানী উঠাই আনিবৰ কাৰণে যি বিপুল পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হ'ব সেইখিনি বহন কৰিবলৈ আৰ্থিকভাবে দেউলিয়া অসম চৰকাৰৰ সামৰ্থ্য হ'ব নে নহয়, বা হ'লে কিমান দিনৰ মূৰত হ'ব, সেইটো নিশ্চয় এটা চিন্তা কৰিবলগীয়া প্ৰশ্ন। আমাৰ ৰাইজেও এইবোৰ কথা একেবাৰে নুবুজা নহয়। সেই কাৰণেই ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে ৰাজধানীখন অধিক সংখ্যক মানুহে সহজে ঢুকি পোৱা ঠাইলৈ নমাই আনিব লাগে বুলি মনে-প্ৰাণে অনুভৱ কৰিও অসমৰ ৰাইজে চিলঙৰ পৰা ৰাজধানী স্থানান্তৰিত কৰাৰ দাবীত কোনো বিক্ষোভ বা আন্দোলন আৰম্ভ কৰা নাই।

কিন্তু সম্প্ৰতি পৰিস্থিতিৰ আমূল পৰিবৰ্তন ঘটিছে। পাহাৰীয়া ৰাইজৰ, বিশেষকৈ খাচী-জয়ন্তীয়া পাহাৰৰ ৰাজনীতি সচেতন অধিবাসী বৃন্দৰ মন যোগাবৰ কাৰণেই ভৈয়ম অঞ্চলৰ সংখ্যা গৰিষ্ঠ ৰাইজে নিজৰ অজস্ৰ অসুবিধা আৰু ক্ষতি স্বীকাৰ কৰি লৈয়ো চিলঙতে ৰাজধানী ৰাখি থোৱাত অনিচ্ছুক সন্মতি জনাইছিল। কিন্তু সুকীয়া এখন পাহাৰী ৰাজ্য সৃষ্টি হোৱাৰ পাচত চিলঙত অসমৰ ৰাজধানী ৰাখি থোৱাৰ সৰ্ব্ব-প্ৰধান যুক্তিটো সম্পূৰ্ণ ভিত্তিহীন হৈ পৰিল। এতিয়া পাহাৰীয়া ভাইসকল চিলং অসমৰ ৰাজধানী হৈ থকাৰ প্ৰতি অকণো আগ্ৰহশীলতো নহয়েই, বৰং যথাসম্ভৱ সোনকালে অসম চৰকাৰে চিলং এৰি গুচি আহিব লাগে বুলিহে তেওঁলোকে দাবী কৰিছে। অৱশ্যে কোনোবাই যদি এতিয়াও যুক্তি দিয়ে যে পাহাৰীয়া উপৰাজ্যখনৰ ওপৰত খবৰদাৰী কৰিবৰ কাৰণে বা পাহাৰীয়া জনগোষ্ঠীৰ গতি-বিধিৰ ওপৰত চোৰাংচোৱাগিৰী কৰিবৰ কাৰণেও চিলং দুয়োখন ৰাজ্যৰে (অসম আৰু মেঘালয়ৰ) উমৈহতীয়া ৰাজধানী হৈ থকা উচিত, সেইটো অৱশ্যে সম্পূৰ্ণ সুকীয়া কথা। তেনে এটা অপমানজনক কু-ধাৰণাক কোনোবাই প্ৰশ্ৰয় দিলে আমাৰ পক্ষে উচিত হ'ব পাহাৰীয়া ভাইসকলক আহ্বান কৰা— যাতে তেওঁলোকে ২৪ ঘণ্টাৰ ভিতৰত অসম চৰকাৰক চিলং পাহাৰৰ পৰা বিতাড়িত কৰি দিয়ে।

দ্বিতীয়তো হ'ল নতুন ৰাজধানী নিৰ্মাণৰ কাৰণে টকাৰ প্ৰশ্ন। এই প্ৰশ্ন আগতে যিমান জটিল আছিল এতিয়া সিমান নিশ্চয় নহয়। মেঘালয় স্থাপিত হোৱাৰ পাচত দুয়োখন ৰাজ্যৰ মাজতে সা-সম্পত্তি আৰু টকা-পইচাৰ ভাগ হয়। মেঘালয় উপ-ৰাজ্যই যিহেতু চিলঙত এখন ৰেডিমেড ৰাজধানী পাব, গতিকে তাৰ

বিনিময়ত অসম চৰকাৰে নতুন এখন ৰাজধানী পাতিবলৈ নিশ্চয় টকা পাব লাগিব। যদি ভাগাভাগি কৰাৰ পাচতো অসম চৰকাৰৰ ভাগত নতুন এখন ৰাজধানী পাতিবৰ জোখাৰে টকাৰ নাটনি পৰে, তেন্তে সেই নাটনি পূৰাবৰ জোখাৰে কেন্দ্ৰীয় চৰকাৰে অৰ্থ সাহায্য দিবই লাগিব। অসমৰ ইচ্ছাৰ বিৰুদ্ধে জোৰ-জবৰদস্তিকৈ সুকীয়া পাহাৰী ৰাজ্যৰ গুৰিতে আগভাগ লৈছিল কেন্দ্ৰীয় চৰকাৰে; গতিকে সুকীয়া পাহাৰী ৰাজ্যৰ ৰাজধানী পাতি দিয়াৰ নৈতিক দায়িত্বও কেন্দ্ৰীয় চৰকাৰৰেই। সুকীয়া পাহাৰী ৰাজ্য স্থাপনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে অসমক বাধ্য কৰিব পাৰিলে বুলিয়েই এতিয়া সেই সুকীয়া ৰাজ্যৰ বুকুতে অবাঞ্ছিত আলহী হিচাবে ৰাজধানী ৰাখিবলৈকো কেন্দ্ৰই অসমক বাধ্য কৰিব নিশ্চয় নোৱাৰে। কেন্দ্ৰই তেনে চেষ্টা কৰিলে অসমে সৰ্ব শক্তিৰে তাক বাধা দিয়াটো উচিত হ'ব।

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্টভাৱে প্ৰমাণিত হৈছে যে চিলঙৰ পৰা ৰাজধানী স্থানান্তৰিত কৰাৰ বাটত থকা দুটা সৰ্ব-প্ৰধান অসুবিধা বা প্ৰতিবন্ধক সম্প্ৰতি দূৰ হৈছে। গতিকে ৰাজ্যখনৰ সংখ্যাগৰিষ্ঠ ৰাইজৰ অনুভূতি আৰু সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে অতি সোনকালেই ৰাজধানী স্থানান্তৰৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা কৰিবলৈ আৰম্ভ কৰাটো উচিত হ'ব। তেনে কৰিবলৈ যাওঁতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগতে কাছাৰৰ সুবিধাৰ প্ৰতিও লক্ষ্য ৰখাটো একান্তই প্ৰয়োজন হ'ব। যিহেতু ৰাজধানীৰ লগত কেৱল প্ৰশাসনীয় সুবিধাৰ প্ৰশ্ন নহয়, তাৰ লগতে জনসাধাৰণৰ আবেগ-অনুভূতিৰ প্ৰশ্নও জড়িত আছে, সেই কাৰণে নতুন ৰাজধানীৰ কাৰণে স্থান নিৰ্বাচনৰ দায়িত্ব কেৱল চৰকাৰী বিষয়াৰ ওপৰতে ন্যস্ত নকৰি আটাইকেইখন জিলাৰ প্ৰতিনিধি-স্থানীয় এখন সৰ্বদলীয় কমিটীৰ ওপৰত এই দায়িত্ব অৰ্পণ কৰাটো অধিক সু-বিবেচনাৰ কাম হ'ব। চৰকাৰী বিষয়াসকলে এই কমিটীক তথ্য-পাতিৰ যোগান দি আৰু দিহা-পৰামৰ্শ সহায় কৰিব পাৰিব।

এটা বিষয়ে কাৰো মনত বিন্দু মাত্ৰ দ্বিধা বা সন্দেহ থকা উচিত নহয় যে এদিন নহয় এদিন চিলঙৰ পৰা ৰাজধানী নমাই আনিবই লাগিব। চিলং হৈ পৰিছে আমোলাতন্ত্ৰৰ স্বৰ্গ আৰু জনসাধাৰণৰ আশা-আকাংক্ষাৰ সমাধি। ভাৰতৰ আন কোনো ৰাজ্যৰে ৰাজধানী জনতাৰ মূল প্ৰাণ-প্ৰবাহৰ পৰা ইমান দূৰত আৰু ইমান ওখত অৱস্থিত নহয়। অন্যান্য ৰাজ্যৰ ৰাজধানীবোৰ জনসাধাৰণে প্ৰতি মুহূৰ্ততে ঢুকি পোৱাৰ ভিতৰত হোৱাৰ কাৰণে সেইবোৰৰ সদৰ কাৰ্য্যালয়ৰ দুৱাৰ মুখত জনতাৰ আশা-আকাংক্ষা আৰু ক্ৰোধ-যন্ত্ৰণাৰ উদ্বেলিত জোৱাৰ মুহুৰ্মুহুঃ আছাৰ খাই পৰে, কিন্তু অসমৰ ৰাজধানীয়ে বহু দূৰৰ নিৰ্বিঘ্ন উচ্চতাৰ পৰা সেই জোৱাৰৰ ফালে চাই কেৱল উপেক্ষা আৰু উপহাসৰ হাঁহি মাৰে। চিলঙত অসমৰ ৰাজধানী হোৱাৰ কাৰণেই মন্ত্ৰীকে আৰম্ভ কৰি অসমৰ সমস্ত প্ৰশাসন ব্যৱস্থাই বাস্তৱতাৰ লগত সম্পৰ্ক হেৰুৱাই পেলাইছে, ৰাইজৰ প্ৰতি শ্ৰদ্ধা হেৰুৱাই পেলাইছে, গণতন্ত্ৰৰ হৃৎ-স্পন্দন শুনি নোপোৱাত পৰিছে। ৰাজধানী যদি গণতান্ত্ৰিক আশা-আকাংক্ষাৰ প্ৰতীক হ'ব লাগে, তেন্তে ই ৰাইজে সহজে আৰু সততে ঢুকি পোৱাৰ ভিতৰত হ'বই লাগিব। অসম চৰকাৰে যিমানে সোনকালে এই কথাষাৰৰ যুক্তি-যুক্ততা উপলব্ধি কৰে সিমানেই মঙ্গল।

অসমীয়া ভাষা

অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাকেইখনত অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাপে প্ৰচলন কৰিব লাগে বুলি আইন পাছ কৰা আজি কেইবা বছৰো পাৰ হৈ গ'ল। সিদ্ধান্ত লোৱা হৈছিল যে পৰ্যায়ক্ৰমে এই আইন কাৰ্য্যকৰী কৰা হ'ব; অৰ্থাৎ প্ৰথমে মহকুমা পৰ্য্যায়ত, তাৰ পাচত জিলা পৰ্য্যায়ত আৰু সদৌ শেষত ৰাজ্য পৰ্য্যায়ত অসমীয়া ভাষাক চৰকাৰী ভাষাৰ মৰ্য্যাদা দিয়া হ'ব। কিন্তু অতি দুখ আৰু পৰিতাপৰ কথা যে ৰাজ্য পৰ্য্যায়ত অসমীয়া ভাষা চৰকাৰী ভাষাৰূপে প্ৰচলিত হোৱা দূৰৰ কথা— মহকুমা পৰ্য্যায়তেই সেই কাম সম্পূৰ্ণ হ'বলৈ এতিয়াও বহু বাকী। 'চৰকাৰী ভাষা আইন' কাৰ্য্যকৰী কৰাৰ কামত অসম চৰকাৰে কেনে শামুকীয়া গতিৰে আগবাঢ়িছে সেই কথা ৰাইজে নিজ চকুৰে দেখিয়েই আছে। এই গতিৰেই কাম চলি থাকিবলৈ হ'লে অসমীয়া ভাষাই ৰাজ্য পৰ্য্যায়ত চৰকাৰী ভাষাৰ মৰ্য্যাদা পায় মানে বিংশ শতিকাৰ অন্ত পৰিব। চৰকাৰী ভাষা আইন কাৰ্য্যকৰী কৰাত বৰ্তমানৰ অসম চৰকাৰৰ আন্তৰিকতা আৰু উৎসাহৰ অভাব ইমান স্পষ্টভাৱে প্ৰকট যে সেই বিষয়ে বিতৰ্ক বা বাদানুবাদৰ কোনো অৱকাশ নাই। কেৱল প্ৰশ্ন হ'ব পাৰে ঃ চৰকাৰৰ এই অনুৎসাহ বা অনিচ্ছাৰ কাৰণ কি? কিন্তু কাৰণ যিয়েই নহওক, ৰাইজৰ প্ৰচণ্ড দাবীৰ ওচৰত সেও মানি অসমীয়া ভাষাক নিৰ্দিষ্ট সময়ৰ ভিতৰতে চৰকাৰী ভাষা কৰিম বুলি অঙ্গীকাৰ কৰি এতিয়া সেই কামত গাফিলতী দেখুওৱাটো প্ৰতিশ্ৰুতি ভঙ্গ বা বিশ্বাসঘাতকতাৰ বাহিৰে আন একো হ'ব নোৱাৰে।

'চৰকাৰী ভাষা আইন'খন যথাসম্ভৱ ক্ষিপ্ৰতাৰে কাৰ্য্যকৰী নকৰি অসম চৰকাৰে স্থূল-বুদ্ধি আৰু অদূৰদৰ্শিতাৰ পৰিচয় দিছে। ধৰ্ম আৰু ভাষা— এই দুয়োটাই ভাৰতবৰ্ষত এতিয়াও অন্তহীন ৰাজহুৱা অশান্তি আৰু আৱেগিক উত্তেজনাৰ উৎস হৈ আছে। অৱশ্যে আধুনিকতাৰ প্ৰসাৰৰ লগে লগে ধৰ্ম নিৰপেক্ষতাৰ আদৰ্শ দিনক দিনে অধিক শক্তিশালী আৰু বিবাদৰ বিষয় হৈ নাথাকিব বুলি আশা কৰিব পাৰি। কিন্তু ভাষাৰ সমস্যাটো তাৰ সম্পূৰ্ণ বিপৰীত। শিক্ষাৰ দ্ৰুত প্ৰসাৰ আৰু অৰ্থনৈতিক পুনৰ্বিন্যাসৰ ফলত ভাৰতৰ বিভিন্ন প্ৰান্তত এটা ক্ৰমবৰ্দ্ধমান শিক্ষিত মধ্যবিত্ত সম্প্ৰদায়ৰ সৃষ্টি হৈছে আৰু এই সম্প্ৰদায়টো নিজ নিজ অঞ্চলৰ ইতিহাস, সাংস্কৃতিক পৰম্পৰা আৰু ভাষা সম্পৰ্কে অধিক পৰিমাণে সচেতন হৈ পৰিছে, যিহেতু ভাৰতবৰ্ষ অজস্ৰ ভাষা-সংস্কৃতি অধ্যুষিত এখন বিৰাট দেশ আৰু ইয়াৰ বিশাল প্ৰাণ-প্ৰবাহত কোনেও নিজত্ব নিশ্চিহ্ন কৰি বিলীন হৈ যাব নোখোজে, গতিকে আঞ্চলিক ভাষা সম্পৰ্কে সচেতনতা আৰু অভিমান দিনে দিনে বৃদ্ধিহে পাব আৰু সময়ে সময়ে ই হিংস্ৰ প্ৰতিযোগিতাৰ ৰূপ লব। হিন্দীৰ বিৰোধিতাত সাৰ্বভৌম স্বাধীন তামিল দেশৰ দাবী কৰি আৰু তামিল ভাষাৰ মৰ্য্যাদা ৰক্ষাৰ কাৰণে জ্বলা জুইত জাঁপ দি মৰি সৌ সিদিনা মাত্ৰ তামিলনাদুৰ ডেকাসকলে এই কথাকেই পুনৰ প্ৰমাণ কৰিছে যে আধুনিক ভাৰতত ভাষাৰ প্ৰশ্নটো এটা অতি বিস্ফোৰক প্ৰশ্ন আৰু এই প্ৰশ্নটো সমাধান কৰিবলৈ যাওঁতে সামান্য ভুল কৰিলেও ব্যাপক দাবানলৰ সৃষ্টি হ'ব পাৰে। অসমৰ নেতাসকলক এই কথা পুনৰ সোঁৱৰাই দিয়াৰ নিশ্চয় প্ৰয়োজন নাই, কাৰণ এই কথা বিশ্বাস কৰা অসম্ভৱ যে তেওঁলোকে ১৯৬০ চনৰ ৰক্তৰঞ্জিত, অগ্নিদগ্ধ দিনবোৰৰ কথা ইমান সোনকালেই পাহৰি গৈছে। অৱশ্যে তেওঁলোকে এটা কথা খুব সম্ভৱ সমূলি পাহৰি গৈছে। সেইটো হৈছে এই যে এনে

ধৰ্ষণৰ প্ৰচণ্ড আৱেগিক উত্তেজনা এবাৰতেই চিৰকালৰ কাৰণে নিশেষ হৈ নাযায়, অনুকূল পৰিৱেশত তাৰ পুনৰাবৃত্তি ঘটিব পাৰে। ১৯৬০ চনৰ দুৰপনেয় কলংকৰ কাৰণে কিছুমান হিংসা-বিলাসী লোক যিমান দায়ী তাতোকৈ বহু গুণে বেছি দায়ী জনসাধাৰণৰ মনস্তত্ব আৰু আৱেগ-অনুভূতিৰ প্ৰতি উদাসীন অসম চৰকাৰ। 'চৰকাৰী ভাষা আইন'ক কাৰ্য্যকৰী কৰাত আজি অসম চৰকাৰে যি অৱহেলাৰ মনোভাৱ দেখুৱাইছে তাৰ ফলত ভৱিষ্যতে যদি আকৌ কিবা অশান্তিৰ সৃষ্টি হয়, তাৰ বাবেও সম্পূৰ্ণ দায়ী হ'ব লাগিব অসম চৰকাৰেই।

এটা কথা সঁচা যে চৰকাৰী প্ৰচেষ্টাত কোনো জাতিৰ সাহিত্য বা সংস্কৃতিৰ বিকাশ নঘটে, তেনে বিকাশ নিৰ্ভৰ কৰে জাতীয় প্ৰতিভা, ইচ্ছা শক্তি আৰু আদৰ্শৰ ওপৰতহে। কিন্তু সাংস্কৃতিক বিকাশৰ কাৰণে সকলো চেষ্টাৰে পৃষ্ঠপোষকতা কৰাটো চৰকাৰৰ অৱশ্যে পালনীয় কৰ্তব্য। দুৰ্বল ভাষা-সংস্কৃতিক নিজৰ ভৰিত থিয় দিব পৰা কৰি তুলিবলৈ চৰকাৰৰ পক্ষে কিছু পৰিমাণে পেটানেলিজম্ বা অভিভাৱকত্ব কৰাৰো প্ৰয়োজন হৈ উঠিব পাৰে। মানুহে কেৱল ভাত খায়েই জীয়াই নাথাকে। নাগৰিকৰ কেৱল বৈষয়িক প্ৰয়োজন পূৰ্ণ কৰাতেই যি দেশৰ চৰকাৰৰ সমস্ত শক্তি আৰু শ্ৰম ব্যয়িত হয় তেনে চৰকাৰক সম্পূৰ্ণ সু-সভ্য চৰকাৰ বুলি ক'ব নোৱাৰি। অতি দুখৰ কথা যে অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশৰ কাৰণে অসম চৰকাৰৰ চেষ্টা বা মনোযোগ অতি অকিঞ্চিৎকৰ; সাহিত্যিক বা সাংস্কৃতিক অনুষ্ঠানবোৰক যি দুই চাৰিটা দান দিয়া হয় তাকো ভিখাৰী-বিদায়ৰ বাহিৰে আন একো বুলি ক'ব নোৱাৰি। ভাৰতৰেই একাধিক ৰাজ্য চৰকাৰে নতুন উদ্যোগ আৰু অৰ্থব্যয়ত বৃহদাকাৰৰ বিশ্বকোষ প্ৰণয়ন কৰি প্ৰকাশ কৰিছে, গৱেষণাকেন্দ্ৰ প্ৰতিষ্ঠা কৰিছে, সাহিত্যিক পুৰস্কাৰ প্ৰৱৰ্তন কৰিছে— মুঠতে সমসাময়িক কালৰ মনুষ্যত্বৰ সাধনাৰ লগত চৰকাৰে নিজকো যুক্ত কৰি নিজৰ অস্তিত্বৰ সাৰ্থকতা প্ৰমাণ কৰিছে। অসম চৰকাৰেও [illegible] কৰিবলৈ আগবাঢ়ি আহক, ইয়াকে আমি কামনা কৰো। আৰু সেইটো কৰাৰ প্ৰথম পদক্ষেপ হ'ব [illegible]ৰকাৰী ভাষা আইন' অবিলম্বে কাৰ্য্যকৰী কৰি অসমীয়া ভাষাক ৰাজ্য ভাষাৰ সম্পূৰ্ণ মৰ্য্যাদা দিয়া— যিটো কৰিবলৈ অসম চৰকাৰ ইতিমধ্যেই প্ৰতিশ্ৰুতিবদ্ধ।

চৰকাৰী সাহায্য-প্ৰাপ্ত কলেজৰ অধ্যক্ষ পদ

কিছু দিনৰ আগতে অসমৰ সাতখন কলেজৰ অধ্যক্ষৰ পদ খালি হ'ল। এই পদবোৰ পূৰ কৰিবলৈ নতুন লোক নিয়োগ কৰাৰ প্ৰয়োজন হোৱাত উপযুক্ত লোক বাছি উলিয়াবলৈ চৰকাৰে এখন 'ৰাজ্যিক বাছনি পৰিষদ' গঠন কৰি দিলে। এই পৰিষদৰ সদস্যসকল হ'ল— অসম লোক সেৱা আয়োগৰ সভাপতি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞান কলাগুৰু আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেক্টৰ, কলেজৰ অধ্যক্ষ সকলৰ এজন প্ৰতিনিধি (শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী) আৰু এজন অভিজ্ঞ শিক্ষাবিদ (ড° হিৰণ্য চন্দ্ৰ ভূএগ্ৰা)। এই কমিটীয়ে ৮৭ জন অধ্যাপক প্ৰাৰ্থীৰ ইণ্টাৰভিউ লৈ সেই সকলৰ মাজৰ পৰা ১৬ জন লোকক উপযুক্ত বুলি নিৰ্বাচন কৰিলে আৰু তাৰে ভিতৰত ৭ জনক প্ৰথম স্থান দিলে। সংশ্লিষ্ট বিধি অনুযায়ী বাছনি পৰিষদৰ চুপাৰিচসহ এই নামৰ তালিকা কলেজৰ পৰিচালনা সমিতিবোৰলৈ পঠাব লাগে, কাৰণ সেই সমিতিয়েহে কাক নিয়োগ কৰা হ'ব বা নহ'ব সেই কথা ঠিক কৰে। অৱশ্যে নিয়মাৱলীত এই নিৰ্দেশো দিয়া আছে যে কলেজৰ পৰিচালনা সমিতিয়ে সাধাৰণতে তালিকাত প্ৰথম স্থান পোৱাজনকেই নিযুক্তি দিয়া উচিত। কিবা কাৰণত তাৰ ব্যতিক্ৰম কৰিব লগা হ'লে শিক্ষাধিকাৰৰ আগতীয়া অনুমোদন লৈহে পৰিচালনা সমিতিয়ে প্ৰথমজনক অধ্যক্ষৰূপে নিয়োগ নকৰি দ্বিতীয় বা তৃতীয়জনক কৰিব পাৰে। ইয়াৰ সহজ অৰ্থ এয়েই যে কোনো কলেজৰ পৰিচালনা সমিতিয়ে যদি ৰাজ্যৰ যোগ্যতম লোকৰ দ্বাৰা গঠিত বাছনি পৰিষদে প্ৰথম মনোনয়ন দিয়া অধ্যাপকজনক অধ্যক্ষ পদ নিদি দ্বিতীয়জনকহে দিব খোজে, তেন্তে তেনে কৰিবৰ কাৰণে শিক্ষাধিকাৰৰ অনুমোদন খুজি পঠাব লাগিব; যদি শিক্ষাধিকাৰে অনুমোদন নিদি প্ৰথমজনকেই নিযুক্তি দিব লাগে বুলি নিৰ্দেশ দি পঠাই, তেন্তে দায়িত্ব আৰু নিয়মানুবৰ্তিতাৰ খাতিৰত পৰিচালনা সমিতিয়ে সেই নিৰ্দেশ মানিবলৈ বাধ্য।

এইবাৰ নতুন অধ্যক্ষৰ প্ৰয়োজন হোৱা ৭ খন কলেজৰ ভিতৰত ছখনলৈ দুজনকৈ আৰু শিৱসাগৰ কলেজলৈ চাৰিজন লোকৰ নাম চুপাৰিচ কৰি পঠোৱা হ'ল। ইয়াৰ ভিতৰত দুখন কলেজে যোগ্যতাৰ বিচাৰত প্ৰথম মনোনয়ন পোৱা লোক দুজনক অধ্যক্ষৰূপে নিয়োগ কৰিবলৈ অস্বীকাৰ কৰি কেৱল যে এটা অবাঞ্ছনীয় পৰিস্থিতি আৰু জঁট লগা সমস্যাৰেই সৃষ্টি কৰিছে এনে নহয়, শিক্ষাৰ ক্ষেত্ৰত লেতেৰা ৰাজনীতিৰ অনুপ্ৰবেশ ঘটোৱাই তেওঁলোকে গোটেই পৰিবেশটোকেই বিষাক্ত কৰি তুলিছে। এই প্ৰশ্নটোৰ লগত কেৱল দুজন লোকৰ পদোন্নতি বা ভাগ্য জড়িত থকা হ'লে আমাৰ ক'বলৈ একো নাছিল কিন্তু প্ৰকৃততে ইয়াৰ লগত জড়িত আছে অসমত উচ্চ শিক্ষাৰ ভৱিষ্যত আৰু প্ৰশাসনিক শৃংখলাৰ প্ৰশ্ন। গতিকে এই বিষয়ে এটা ৰাজহুৱা আলোচনা হোৱা দৰকাৰ বুলি আমি ভাবো।

প্ৰথম প্ৰশ্ন হ'ল ঃ ৰাজ্যখনত সবাতোকৈ যোগ্য আৰু অভিজ্ঞ লোকসকলৰ দ্বাৰা গঠিত বাছনি পৰিষদে যিজন লোকক যোগ্যতাৰ বিচাৰত প্ৰথম স্থান দিছে, সেইজন লোকক কি অধিকাৰত বা কি যুক্তিৰ বলেৰে কলেজৰ পৰিচালনা সমিতিয়ে নাকচ কৰিব পাৰে? এটা কথা স্বতঃসিদ্ধ যে ৰাজ্যিক বাছনি পৰিষদে

বাছি দিয়া অধ্যাপকজনৰ বৌদ্ধিক আৰু শিক্ষাগত যোগ্যতা সম্পৰ্কে মাত মাতিবলৈ বা [illegible] দ্বি-মত প্ৰকাশ কৰিবলৈ পৰিচালনা সমিতিৰ সন্দেহযুক্ত অধিকাৰ থাকিলেও যোগ্যতা একেবাৰেই নাই; কাৰণ 'ৰাজ্যিক বাছনি পৰিষদ'খন গঠিত হৈছে ৰাজ্যখন অভিজ্ঞতম আৰু যোগ্যতম কেইজনমান লোকক [illegible] আনহাতে কলেজৰ পৰিচালনা সমিতিবোৰৰ সিমানখিনি বৌদ্ধিক বিচাৰৰ যোগ্যতা আছে বুলি [illegible] নিশ্চয় নাভাবে। দ্বিতীয়তে 'ৰাজ্যিক বাছনি পৰিষদ'খন এটা সম্পূৰ্ণ নিৰপেক্ষ অনুষ্ঠান, সম্পূৰ্ণ নিৰপেক্ষ বুলি কোনোবাত কাৰোবাৰ আপত্তি থাকিলেও অন্ততঃ এই বুলি ক'ব পৰা যায় যে কলেজৰ পৰিচালনা সমিতিবোৰতকৈ ই অন্ততঃ স্বাভাৱিকতে অধিক নিৰপেক্ষ। কলেজৰ পৰিচালনা সমিতিৰ সদস্যসকলৰ দৃষ্টিভঙ্গী বা বিচাৰবুদ্ধি স্থানীয় ৰাজনীতি, ব্যক্তিগত ঈৰ্ষা বা ক্ষুদ্ৰ স্বাৰ্থবুদ্ধিৰ দ্বাৰা প্ৰভাৱিত হ'বৰ আশংকা থাকে, কিন্তু 'ৰাজ্যিক বাছনি পৰিষদ' তেনে সম্ভাৱনাৰ পৰা বহুলাংশে মুক্ত। এই সকলো কথা বিচাৰ কৰি চালে দেখা যায় যে যেতিয়া কলেজৰ পৰিচালনা সমিতিয়ে 'ৰাজ্যিক বাছনি পৰিষদ'ৰ চুপাৰিচ মানি লবলৈ অস্বীকাৰ কৰে বা জোৰ-জবৰদস্তিকৈ নিজৰ পছন্দৰ মানুহক অধ্যক্ষ নিয়োগ কৰিবলৈ উঠি পৰি লাগে— তেতিয়াই ধৰি ল'ব লাগে যে 'ৰাজ্যিক বাছনি পৰিষদ'ৰ লগত তেওঁলোকৰ সংঘাতৰ মূল কাৰণ প্ৰাৰ্থীজনৰ শিক্ষাগত যোগ্যতা বা প্ৰশাসনীয় অভিজ্ঞতা নহয়— মূল কাৰণ নিশ্চয় স্থানীয় ৰাজনীতিৰ হেতো ওপৰা বা ব্যক্তি বিশেষৰ স্বাৰ্থ-বুদ্ধি আৰু পছন্দ-অপছন্দৰ প্ৰশ্ন। যদি কোনোবাই ক'ব খোজে যে 'ৰাজ্যিক বাছনি পৰিষদ'ৰ কাম হ'ল কেৱল প্ৰাৰ্থীজনৰ শিক্ষাগত যোগ্যতা আৰু প্ৰশাসনীয় অভিজ্ঞতা বিচাৰ কৰাটোহে, বাকী তেওঁৰ স্বাভাৱ-চৰিত্ৰ আৰু ৰাজনৈতিক কাৰ্য্য-কলাপ আদি বিচাৰ কৰি চোৱাটো পৰিচালনা সমিতিৰ অৱশ্য-পালনীয় কৰ্তব্য— তেন্তে খুব জোৰেৰে সৈতে এই কথা ঘোষণা কৰাৰ প্ৰয়োজন আছে যে এনেভাৱে কৰ্তব্যৰ বিভাজন কৰি চৰকাৰে চৰম নিৰ্বুদ্ধিতা আৰু দায়িত্বহীনতাৰ পৰিচয় দিছে। যদি কোনো লোকৰ ৰাজনৈতিক আদৰ্শ বা চৰিত্ৰগত দোষৰ কাৰণে তেওঁক অধ্যক্ষ নিয়োগ কৰাটো চৰ অনুচিত [illegible] তেন্তে তেনে লোকক সাক্ষাতৰ কাৰণে নিমন্ত্ৰণ নকৰাটোৱেই একমাত্ৰ যুক্তি-সঙ্গত কথা। [illegible] মানুহৰ বিষয়ে চৰকাৰে যিখিনি জানে বা জনা উচিত, তাতোকৈ কলেজৰ পৰিচালনা সমিতি একোখনে বেছি জানে বুলি ৰাইজে কেতিয়াও মানি নলয়। পঞ্চায়তৰ সভাপতি একোজনকো গোপন ভোটৰ দ্বাৰাইহে নিৰ্বাচিত কৰা হয়; তেনেস্থলত অধ্যক্ষ পদ-প্ৰাৰ্থী একোজন সন্মানিত অধ্যাপকক পৰিচালনা সমিতিৰ ৰাজনৈতিক চক্ৰান্তৰ বলি হ'বলৈ এৰি দিয়াটো বা ৰাজহুৱা কুৎসা ৰটনাৰ বিষয় হ'বলৈ এৰি দি তেওঁৰ চৰিত্ৰহনন কৰিবলৈ দিয়াটো কোনো পথেৰেই সমৰ্থনযোগ্য হ'ব নোৱাৰে। কিন্তু এতিয়া দেখা গৈছে যে চৰকাৰৰ ভুল আৰু অদূৰদৰ্শী নীতিৰ ফলত ঠিক তাকেই কৰা হৈছে।

দ্বিতীয় প্ৰশ্ন হ'ল : কলেজৰ পৰিচালনা সমিতিবোৰে কি নীতি অনুসৰণ কৰি বা কি আদৰ্শ আগত ৰাখি চৰকাৰে যোগ্যতাৰ বিচাৰত প্ৰথম স্থান দিয়া লোকজনৰ বিৰোধিতা কৰিছে? আমাৰ ওপৰত বিশ্লেষণ যদি গ্ৰহণ কৰা হয়, তেন্তে এই কথা অনস্বীকাৰ্য্য হৈ পৰে যে সংশ্লিষ্ট ব্যক্তিজনৰ বৌদ্ধিক যোগ্যতা, অভিজ্ঞতাৰ পৰিপক্কতা আৰু চাৰিত্ৰিক সততাৰ বিষয়ে সন্দেহ প্ৰকাশ কৰিবলৈ পৰিচালনা সমিতিৰ কোনো অধিকাৰ নাই; তেওঁলোকে সেই অধিকাৰ দাবী কৰিলেও কোনো শুভ বুদ্ধিৰ মানুহে সেই দাবী মানি লোৱা উচিত নহয়। যদি সেয়েই হয় তেন্তে এই সিদ্ধান্ত অপ্ৰতিৰোধ্য হৈ পৰে যে ৰাজ্যখনৰ যোগ্যতম ব্যক্তিৰ দ্বাৰা গঠিত 'বাছনি পৰিষদে' মনোনীত কৰা প্ৰাৰ্থীজনক পৰিচালনা সমিতিয়ে অধ্যক্ষৰূপে গ্ৰহণ নকৰাৰ

মূলতে হ'ল সেই সমিতিৰ প্ৰভাৱশালী অংশ এটাৰ ব্যক্তিগত পছন্দ-অপছন্দ বা ব্যক্তিগত স্বাৰ্থসিদ্ধি। এই পিতানতে আমি ইয়াৰ আগতেও এবাৰ উল্লেখ কৰিছিলোঁ যে চৰকাৰৰ ঠেক চিন্তা আৰু অদূৰদৰ্শী নীতিৰ ফলত অসমৰ স্কুল-কলেজৰ পৰিচালনা সমিতিবোৰ অতি লেতেৰা ৰাজনীতিৰ ৰণ-থলী হৈ পৰিছে। সাম্প্ৰতিক ঘটনাৱলীয়ে আমাৰ সেই সন্দেহ সঁচা বুলি প্ৰমাণিত কৰিছে। স্কুল-কলেজৰ পৰিচালনা সমিতিবোৰৰ গঠন-পদ্ধতি বিশ্লেষণ কৰিলে দেখা যায় যে সেইবোৰক এনে কিছুমান ৰাজনীতিজীৱীৰ দ্বাৰা কবলিত হ'বলৈ এৰি দিয়া হৈছে— যিসকল লোকৰ শিক্ষাৰ ক্ষেত্ৰত নেতৃত্ব দিয়াৰ যোগ্যতা আছে বুলি নিতান্ত স্বাৰ্থান্ধ লোকৰ বাহিৰে আন কোনেও নাভাবে। চৰকাৰী পদ-মৰ্য্যাদা বা সা-সুবিধাৰ ভাঁগ-বাটোৱাৰা কৰোঁতে যদি কিছুমান লোকৰ ভাগত একো নপৰেগে সেই কাৰণেই তেওঁলোকক কলেজৰ পৰিচালনা সমিতিৰ সদস্য পদটোকে দি সন্তুষ্ট কৰিবলৈ চেষ্টা কৰা হয়, তেন্তে তাৰ দ্বাৰা হয়তো দল-বিশেষৰ সাময়িক সুবিধা হ'ব পাৰে, কিন্তু তাৰ ফলত জাতিৰ মেৰুদণ্ড শিক্ষা ব্যৱস্থাৰ কি সৰ্বনাশ হৈছে সেই কথা কোনোবাই ভাবি চাইছেনে?

ইতিমধ্যেই সেই সৰ্বনাশৰ প্ৰক্ৰিয়াৰ আৰম্ভণি হৈছে। কোনো কোনো কলেজত সম্প্ৰদায়-বিশেষক অধ্যক্ষ নিযুক্তিৰ দাবীত ছাত্ৰই হৰতাল কৰিছে, ছাত্ৰৰ মাজত দলাদলি হৈছে, মাৰপিট হৈছে, কলেজ বন্ধ কৰি দিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে। ইয়াতকৈ দুৰ্ভাগ্যজনক পৰিস্থিতিৰ কথা কল্পনা কৰাও সম্ভৱ নহয়। এনে অৱস্থাৰ স্থায়ী প্ৰতিকাৰৰ কাৰণে চৰকাৰে কলেজৰ পৰিচালনা সমিতিবোৰত লেতেৰা ৰাজনীতিৰ অনুপ্ৰৱেশ কঠোৰ হাতেৰে বন্ধ কৰিব লাগিব; কিন্তু সদ্যহতে কৰিব লগা কাম হৈছে এয়েই যে চৰকাৰে আৰু এক মুহূৰ্তও পলম নকৰি 'ৰাজ্যিক বাছনি পৰিষদে' প্ৰথম মনোনয়ন দিয়া অধ্যাপক কেইজনক অধ্যক্ষ ৰূপত নিযুক্তি দিব লাগিব। তাৰ কাৰণে যদি বৰ্তমানৰ নীতিৰ সংশোধন কৰাৰ প্ৰয়োজন হয় বা কোনো কোনো কলেজৰ পৰিচালনা সমিতি ভাঙি দিয়াৰ প্ৰয়োজন হয় তাকো কৰিব লাগিব। নহ'লে শৃঙ্খলা ৰক্ষা নপৰে, শিক্ষা ব্যৱস্থা ব্যক্তিগত স্বাৰ্থভিত্তিক স্থানীয় ৰাজনীতিৰ কু-প্ৰভাৱৰ পৰা মুক্ত নহয়। আমি জানিব পাৰিছো যে সম্প্ৰতি এই গোটেই বিষয়টো মুখ্যমন্ত্ৰীৰ ব্যক্তিগত বিচাৰাধীন হৈ আছে। আমি আশা কৰিছো যে আমি ওপৰত দাঙি ধৰা যুক্তিবোৰ তেখেতে মনোযোগ সহকাৰে বিচাৰ কৰি চাব।

সাপ্তাহিক নীলাচল, ৫১ সংখ্যা : ২৪ ছেপ্তেম্বৰ, ১৯৬৯ চন

তেল শোধানাগাৰৰ ৰাজনীতি আৰু অৰ্থনীতি

অসমত দ্বিতীয় এটা তেল শোধনাগাৰ স্থাপনৰ দাবীত সম্প্রতি এই ৰাজ্যত এক অভূতপূৰ্ব গণ আন্দোলন চলি আছে। এই প্ৰবন্ধ লিখিবৰ সময়লৈকে আশী হাজাৰতকৈ অধিক সত্যাগ্ৰহী পুলিচৰ হাতত গ্ৰেপ্তাৰ হৈছে। অসমৰ ন্যায্য দাবী মানি নলৈ যদি কেন্দ্ৰীয় চৰকাৰে আন্দোলন চলি থাকিবলগীয়া অবস্থাৰ সৃষ্টি কৰে, তেন্তে হাজাৰ হাজাৰ লোক সত্যাগ্ৰহ আন্দোলনত যোগ দিবলৈ নিশ্চয় ওলাই আহিব। যি সুপৰিকল্পিত আৰু শান্তিপূৰ্ণ উপায়েৰে এইবাৰৰ গণ-আন্দোলন পৰিচালনা কৰা হৈছে, তাতে চাই আমাৰ মনত আশাৰ সঞ্চাৰ হৈছে যে দাবী আদায় নোহোৱা পৰ্য্যন্ত এই সংগ্ৰাম চলাই যাবলৈ অসমৰ জনসাধাৰণৰ দৃঢ়তা আৰু ধৈৰ্য্যৰ অভাৱ নহ'ব। অহা কেইদিনমান বা কেই সপ্তাহমানৰ ভিতৰত এই দৃঢ়তা আৰু ধৈৰ্য্যৰ যে অতিশয় প্ৰয়োজন হ'ব তাৰ কিছু পূৰ্বাভাস সম্প্রতি [illegible] গৈছে। চলিত সপ্তাহতে প্ৰধান মন্ত্ৰীয়ে অসম ভ্ৰমণ কৰাৰ কথা আছিল। অসমৰ ৰাইজে আশা কৰিছিল যে প্ৰধান মন্ত্ৰীয়ে হয় অসম অভিমুখে যাত্ৰা কৰাৰ ঠিক আগে আগেই অসমত দ্বিতীয় এটা শোধনাগাৰ স্থাপন হ'ব বুলি ঘোষণা কৰিব অথবা ইয়ালৈ আহি নিজে ৰাজহুৱাভাৱে সেই কথা ঘোষণা কৰি অসমৰ ৰাইজৰ উচ্ছ্বসিত অভিনন্দন আৰু কৃতজ্ঞতা অৰ্জন কৰিব। কিন্তু শেষ মুহূৰ্ত্তত সকলোকে নিৰাশ কৰি প্ৰধান মন্ত্ৰীয়ে অসম ভ্ৰমণৰ কাৰ্য্যসূচী বাতিল কৰিলে, বা অধিক শুদ্ধকৈ ক'বলৈ গ'লে— বাতিল কৰিবলৈ তেওঁক বাধ্য কৰোৱা হ'ল। বাধ্য ক[illegible] বুলি এই কাৰণেই কৈছো যে অসম চৰকাৰৰ পৰামৰ্শ অনুসৰিহে প্ৰধান মন্ত্ৰীয়ে তেওঁৰ ভ্ৰমণ সূচী বাতি[illegible] লগা হ'ল; অন্যথাই এই ভ্ৰমণ সূচী বাতিল কৰিব লাগে বুলি তেওঁৰ ফালৰ পৰা কোনো ইঙ্গিত [illegible]লে। ৰাজ্যৰ সাম্প্রতিক গণ-আন্দোলন ইমান শান্তিপূৰ্ণ আৰু সুশৃংখলিতভাৱে পৰিচালিত হৈছে যে প্ৰধান মন্ত্ৰী দূৰৰ কথা, সামান্য পথচাৰী এজনৰো নিৰাপত্তা বিপন্ন হ'ব লগা অৱস্থা হোৱা নাই। তেনে অৱস্থাত নিৰাপত্তাৰ দোহাই দি অসমৰ ৰাইজৰ লগত প্ৰধান মন্ত্ৰীক মুখামুখি হ'বলৈ সুবিধা নিদিয়াটো কিমান দূৰ সু-বিবেচনাৰ পৰিচয় হৈছে সেই বিষয়ে বহুতৰে মনত সন্দেহ আছে। অসমৰ তেল শোধনাগাৰৰ দাবীৰ প্ৰতি প্ৰধান মন্ত্ৰীৰ সহানুভূতিশীল বুলি ইতিমধ্যে প্ৰচাৰিত হৈছিল, গতিকে ব্যক্তিগতভাৱে তেওঁৰ বিৰুদ্ধে কোনো বিক্ষোভ প্ৰদৰ্শন কৰাৰ প্ৰশ্ন নুঠিলহেঁতেন। আনকি তেনে বিক্ষোভ প্ৰদৰ্শিত হ'লেও ৰাষ্ট্ৰৰ প্ৰধান মন্ত্ৰীজন তাৰ পৰা পলাই ফুৰাটো নিশ্চয় শোভনীয় নহয়, বৰং তাৰ মুখামুখি হৈ জনতাৰ আবেগ-অনুভূতিৰ প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰাটো হৈছে তেওঁৰ অৱশ্য পালনীয় কৰ্তব্য। এইবাৰ অসমত তাকে কৰিবলৈ প্ৰধান মন্ত্ৰীয়ে এটা অভূতপূৰ্ব সুযোগ পাইছিল, আৰু সেই সুযোগ গ্ৰহণ কৰিবলৈ প্ৰধান মন্ত্ৰী অনিচ্ছুক আছিল বুলি ভাবিবলৈ কোনো প্ৰমাণ পোৱা নাযায়। তেনেস্থলত তেওঁক যে সেই সুযোগ দিয়া নহ'ল তাৰ একমাত্ৰ কাৰণ এয়েই নেকি যে অসমৰ চিণ্ডিকেট্ পন্থী কংগ্ৰেছ নেতৃত্বই শোধনাগাৰ আন্দোলনৰ অজুহাত লৈ প্ৰধান মন্ত্ৰীক অসমৰ জনসাধাৰণৰ আগত তেওঁৰ নতুন ভাবমূৰ্তি দাঙি ধৰাৰ পৰা বঞ্চিত কৰিলে?

অৱশ্যে এটা কথা ঠিক যে কেন্দ্ৰীয় চৰকাৰে অসমৰ দাবী মানি ল'বলৈ এতিয়াও প্ৰস্তুত হোৱা নাই। প্ৰস্তুত হোৱা হ'লে প্ৰধান মন্ত্ৰীয়ে প্ৰথমতে অসমক তেল শোধনাগাৰটো উপহাৰ দি তাৰ পিচত বিজয়

গৌৰৱেৰে গোটেই অসম টহলি গ'লহেঁতেন। এতিয়া অৱস্থা যি দেখা গৈছে, অনির্দিষ্ট কালৰ কাৰণে গণ-আন্দোলন চলাই যোৱাৰ বাহিৰে অসমৰ সন্মুখত আন কোনো পথ নাই। তেল শোধনাগাৰৰ পৰিবৰ্তে এটা তথাকথিত পেট্ৰ'-কেমিকেল শিল্পচক্রৰ টোপ দি কেন্দ্ৰই হোজা অসমবাসীৰ মুখ বন্ধ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু অসমে কোনো অৱস্থাতেই এই টোপ গিলা উচিত নহয়। ভাৰত চৰকাৰৰ বিশেষজ্ঞ কমিটীয়ে অসমত দ্বিতীয় তেল শোধনাগাৰ স্থাপন কৰিব নোৱাৰাৰ যুক্তি হিচাবে বাৰংবাৰ এই কথাকে কৈ আছে যে অসমত যথেষ্ট পৰিমাণে খাৰুৱা তেল এতিয়াও ওলোৱা নাই। এই খিনিতে এটা কথা উল্লেখযোগ্য যে 'প্ৰাকৃতিক তেল আৰু গেচ আয়োগে' কোটি কোটি টকা খৰচ কৰি অসমত এতিয়ালৈকে কিমান খাৰুৱা তেলৰ সন্ধেদ পাইছে সেই হিচাবটো প্ৰকাশ কৰা নাই। যক্ষৰ ধনৰ দৰে সেই হিচাবটো অতি গোপন কৰি ৰখা হৈছে। অসমত যথেষ্ট খাৰুৱা তেল নাই বুলি ইয়াৰ মানুহক পতিয়ন নিয়াবলৈ হ'লে প্ৰথমতে সেই হিচাবটো প্ৰকাশ কৰিবই লাগিব। সেই হিচাব প্ৰকাশ পোৱাৰ পিচত এই কথা যদি প্ৰমাণিতও হয় যে দ্বিতীয় এটা শোধনাগাৰৰ জোখেৰে অসমত সঁচাকৈয়ে খাৰুৱা তেল নাই, তেতিয়া হ'লেও কিন্তু এটা প্ৰশ্ন থাকি যাব। সেইটো হ'ল ঃ প্ৰাকৃতিক তেল আৰু গেচ আয়োগে যদি যথেষ্ট পৰিমাণৰ খাৰুৱা তেলৰ সন্ধেদেই উলিয়াব পৰা নাই, তেন্তে আজি অত বছৰে কোটি কোটি টকা তেওঁলোকে ক'ত আৰু কিয় খৰচ কৰিলে? তেওঁলোকৰ আয়-ব্যয়ৰ হিচাব পৰীক্ষা কৰি চাবলৈ দেশবাসীৰ নিশ্চয় অধিকাৰ আছে।

দ্বিতীয়তে পেট্ৰ'-কেমিকেল শিল্প-চক্রও খাৰুৱা তেল তথা শোধনাগাৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। অসমত এতিয়ালৈকে ওলোৱা খাৰুৱা তেল যদি দ্বিতীয় এটা শোধনাগাৰৰ প্ৰয়োজনীয়তা প্ৰতিপন্ন কৰিব নোৱাৰে, তেন্তে কালক্রমত সি পেট্ৰ'-কেমিকেল শিল্প-চক্রৰ অস্তিত্বও সংকটাপন্ন কৰি তুলিব। আনহাতে ২০০ কোটি টকা ব্যয়ৰ এটা পেট্ৰ'-কেমিকেল শিল্প-চক্র স্থাপন কৰিবলৈ তৈল-জাত কেঁচা মাল অসমত আছে বুলি যদি স্বীকাৰ কৰি লোৱা হয়, তেন্তে ২০ কোটি টকাৰ এটা তেল শোধনাগাৰৰ কাৰণে অসমত খাৰুৱা তেল নাই বুলি যুক্তি দেখুওৱাটো বাতুলতা বা ভণ্ডামিৰ বাহিৰে আন একো নহয়। কেন্দ্ৰীয় চৰকাৰে যদি সঁচা কৰবলৈ আগবাঢ়ি নাহে, তেন্তে আমি সন্দেহ কৰিবলৈ বাধ্য হ'ম যে কোনো কাৰিকৰী বা অৰ্থনৈতিক যুক্তিৰ কাৰণে নহয়, কিন্তু আন্তৰ্জাতিক তেল স্বাৰ্থৰ হেঁচাতহে কেন্দ্ৰীয় চৰকাৰে অসমক শোধনাগাৰ দিবলৈ অমান্তি হৈছে। এনে হেঁচাৰ ওচৰত নতি স্বীকাৰ কৰাটো শ্ৰীমতী গান্ধীৰ চৰকাৰৰ নতুন সমাজবাদী সঙ্কল্পৰ লগত সমূলি খাপ নোখোৱা কথা হ'ব।

বিহাৰৰ বাৰাউনিত শোধনাগাৰ হোৱাৰ কোনো অৰ্থনৈতিক যুক্তি নাছিল। তথাপি হ'ল। কাৰণ বাৰাউনীৰ ওকালতি কৰিবলৈ আছিল কেন্দ্ৰীয় তেল মন্ত্ৰী বিহাৰৰ শ্ৰীকেশৱদেউ মালব্য। পশ্চিম বঙ্গৰ হাল্‌ডিয়াত শোধনাগাৰ হোৱাৰ কোনো অৰ্থনৈতিক যুক্তি নাছিল। তথাপি হ'ল। কাৰণ হাল্‌ডিয়াৰ হৈ ওকালতি কৰিবলৈ আছিল কেন্দ্ৰীয় তেল মন্ত্ৰী পশ্চিম বঙ্গৰ স্বৰ্গীয় হুমায়ুন কবীৰ। অসমৰ কোনো শক্তিশালী নেতা বা বন্ধু নাই। গতিকে অসমৰ বাইজে যি পাইছে বা পাব, যুঁজ বাগৰ কৰিহে পাইছে বা ভৱিষ্যতলৈকো পাব। এই কথা মনত ৰাখি অসমৰ ৰাইজে তেল শোধনাগাৰৰ দাবী আদায় নোহোৱা পৰ্যন্ত শান্তিপূৰ্ণভাৱে সংগ্ৰাম চলাই যাবলৈ প্ৰস্তুত হ'ব লাগিব।

আমাৰ কথা

আজি সাপ্তাহিক নীলাচলে এটা বছৰ পূৰ্ণ কৰিলে। আজিৰ পৰা ঠিক এবছৰৰ আগতে মহাত্মা গান্ধীৰ জন্ম দিনৰ পুণ্য-তিথিত আমি ৰাইজৰ আগলৈ এই কাকতখনি আগবঢ়াইছিলো। বাতৰি কাকতৰ উদ্দেশ্য বা কৰ্ত্তব্য সম্পৰ্কে গান্ধীজীয়ে কোৱা এষাৰি কথা আমি সেই দিনা স্মৰণ কৰিছিলো। গান্ধীজীয়ে কৈছিল : "ৰাইজৰ অনুভূতিবোৰ বুজিবলৈ চেষ্টা কৰাটো আৰু সেইবোৰ প্ৰকাশ কৰাটো বাতৰি কাকতৰ এটা প্ৰধান কৰ্তব্য। আন এটা কৰ্তব্য হ'ল জনসাধাৰণৰ মনত কেতবোৰ কল্যাণজনক ভাবাবেগ সৃষ্টি কৰা। তৃতীয় কৰ্তব্য হ'ল চৰকাৰৰ বা ৰাইজৰ সকলো দোষ-ত্ৰুটি নিৰ্ভীকভাবে উদঙাই দেখুওৱা।" ..... আমি এই তিনিওটা কৰ্তব্য পালন কৰিবলৈ যথাসাধ্য চেষ্টা কৰি আহিছো। এই চেষ্টাত সফল হৈছোঁ বুলি দাবী কৰাৰ ধৃষ্টতা আমাৰ নাই, কিমানখিনি কৰিছো-নকৰিছো তাৰ বিচাৰৰ ভাৰ ৰাইজৰ ওপৰতহে। কিন্তু এটা কথা আমি ক'ব খোজো যে আমাৰ কৰ্তব্য পালন কৰিবলৈ আমি আন্তৰিকভাবে চেষ্টা কৰিছো আৰু অজস্ৰ বাধা-বিঘিনিৰ বিৰুদ্ধে যুঁজ কৰিও সেই চেষ্টা অব্যাহত ৰাখিছো। আজি গান্ধীজীৰ জন্ম-শতবাৰ্ষিকীৰ পুণ্য তিথি। লগতে আমাৰ কাকতবো প্ৰথম জন্ম-বাৰ্ষিকী। ৰাইজৰ সেৱাত আত্মোৎসৰ্গ কৰিবলৈ আৰু আমাৰ কাকতখনিক মানুহৰ মুক্তি-ৰণৰ অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিবলৈ আজিৰ এই স্মৰণীয় পবিত্ৰ দিনটোত আমি নতুনকৈ সঙ্কল্প গ্ৰহণ কৰিছো।

সাপ্তাহিক নীলাচলৰ প্ৰথম সংখ্যাৰ সম্পাদকীয় প্ৰবন্ধতে আমি লিখিছিলো যে এই কাকতখনিৰ যোগেদি আমি ৰাইজৰ সেৱা কৰিবলৈ আগবাঢ়িছো হয়, কিন্তু সেই সেৱা কৰাৰ শক্তি ৰাইজেহে আমাক দিব লাগিব। আজি এই কথা স্বীকাৰ কৰিবলৈ পাই পৰম আনন্দ পাইছোঁ যে আমি আশা কৰাতকৈ সহস্ৰ গুণে বেছি শুভ ইচ্ছা আৰু উৎসাহ-উদ্গনি ৰাইজে আমাক দিছে। এই বিষয়ে ইমানকে ক'লেই যথেষ্ট হ'ব যে অসমৰ বিশেষ পৰিস্থিতি আৰু অসমীয়া সংবাদসেবাৰ পৰম্পৰালৈ লক্ষ্য ৰাখি আমাৰ কাকতখনিৰ সংখ্যা দহ বছৰৰ মূৰত যিমানখিনি হ'ব বুলি অনুমান কৰি সেইমতে আমি পৰিকল্পনা কৰিছিলো, মাত্ৰ দহ মাহ নৌহওঁতে আমাৰ কাকতৰ প্ৰচাৰ সংখ্যা তাতোকৈ বহুগুণে বেছি হৈ গ'ল। অৱশ্যে কেৱল যে প্ৰচাৰ সংখ্যাকেই আমি কাকতখনৰ জনপ্ৰিয়তাৰ একমাত্ৰ মাপ-কাঠি বুলি ধৰিছো— এনে নহয়। তাতোকৈ উল্লেখযোগ্য কথা হ'ল কাকতখনিৰ সম্পাদনা আৰু পৰিচালনা কাৰ্য্যত চিঠি-পত্ৰৰ যোগেদি শত-সহস্ৰ পাঠকৰ অংশ গ্ৰহণ। ৰাইজে বিশ্বাস কৰিবলৈ টান পালেও ই একেবাৰে সঁচা কথা যে প্ৰতিদিনে আমি গড়ে প্ৰায় কুৰিখনকৈ চিঠি পাওঁ, যিবোৰ চিঠি প্ৰকাশৰ কাৰণে পঠোৱা নহয়, যিবোৰ চিঠিত থাকে কেৱল সাপ্তাহিক নীলাচলৰ প্ৰতি নানা দিহা-পৰামৰ্শ, সমালোচনা আৰু উৎসাহ-উদ্দীপনা। প্ৰকাশৰ কাৰণে পঠোৱা হাজাৰ হাজাৰ চিঠিৰ হিচাব সম্পূৰ্ণ বেলেগেই। প্ৰতিদিনে এই অসংখ্য চিঠি-পত্ৰৰ যোগেদি পূৰ্ব-আসমৰ শত-সহস্ৰ পাঠকে সাপ্তাহিক নীলাচলৰ পৰিচালনাত অংশ গ্ৰহণ কৰে আৰু স্বৰাপাৰ্থত কাকতখনৰ সম্পাদনা কৰে। সেয়েহে আমি ক'ব খোজো যে সাপ্তাহিক নীলাচল ৰাইজৰ কাকত, ৰাইজৰ স্বাৰ্থ-ৰক্ষাৰ কাৰণে নিয়োজিত কাকত আৰু ৰাইজৰ দ্বাৰা পৰিচালিত কাকত।

সাপ্তাহিক নীলাচলখন ৰাইজৰ কাকত বুলি ঘোষণা কৰাৰ পাচত ৰাইজৰ পৰা কোনো কথা গোপন কৰাটো আমাৰ পক্ষে নিশ্চয় উচিত নহ'ব। সেই কাৰণে আমাৰ কেইটামান সমস্যা আমি ৰাইজৰ আগত খোলাখুলিকৈ আলোচনা কৰিব খোজো। যোৱা এবছৰে আমি সাপ্তাহিক নীলাচলত ৰাইজকে মুখ্য স্থান কৰিবলৈ চেষ্টা কৰি আহিছো। তাৰে এটা হৈছে বিভিন্ন দৃষ্টিকোণৰ পৰা আমাৰ দেশৰ আৰু সমাজৰ

ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সমস্যাবোৰৰ আলোচনা কৰি জনসাধাৰণক চিন্তাৰ খোৰাক যোগোৱা, আৰু আনটো হৈছে সমাজৰ বিভিন্ন স্তৰত থকা দুৰ্নীতিবোৰ উদঙাই দি সেইবোৰৰ প্ৰতিকাৰ বা দূৰীকৰণ কৰিবলৈ চেষ্টা কৰা। প্ৰথমটোৰ বিষয়ে আলোচনা আৰম্ভ হৈছেহে মাত্ৰ, সেই ক্ষেত্ৰত আমাৰ অতি দীঘলীয়া আৰু ব্যাপক পৰিকল্পনা আছে। তদুপৰি চিন্তা-চৰ্চাৰ ক্ষেত্ৰত সকলো লোকেই সমানে আগ্ৰহশীল হ'ব নোৱাৰে। কিন্তু দ্বিতীয় বিষয়টো— অৰ্থাৎ দুৰ্নীতিৰ বিৰুদ্ধে আমি আৰম্ভ কৰা সংগ্ৰামৰ সম্পৰ্কত কেইটামান কথা ক'বলগীয়া আছে। এটা কথা স্বীকাৰ কৰা দৰকাৰ যে আমাৰ কাকতে ইমান কম সময়ৰ ভিতৰতে এনে বিপুল জনপ্ৰিয়তা লাভ কৰাৰ প্ৰধান কাৰণেই হ'ল আমাৰ কাকতে দুৰ্নীতিৰ বিৰুদ্ধে ঘোষণা কৰা সংগ্ৰাম। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে উন্নত দেশতো দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম বাতৰি কাকতৰ এটা অৱশ্যপালনীয় কৰ্তব্য। বিখ্যাত আমেৰিকান সাংবাদিক জেক্ এণ্ডাৰচনে কৈছে ঃ "আমি প্ৰতি দিনে সমাজৰ সৰু সৰু মানুহবোৰৰ পৰা দুই-তিনিশখন চিঠি পাওঁ। স্বাভাৱিক পথেৰে অন্যায়ৰ প্ৰতিকাৰ হোৱাৰ সম্ভাৱনাত সেই মানুহবোৰে সমূলি বিশ্বাস হেৰুৱাইছে। গতিকে মানুহবোৰে আমালৈ চিঠি লিখে— কাৰণ আমাৰ কাকত হ'ল মাত নোহোৱা মানুহৰ একমাত্ৰ মাত।" সাপ্তাহিক নীলাচলৰ যোৱা এবছৰৰ জীৱনত আমাৰো ঠিক সেই একে অভিজ্ঞতাই হৈছে। যিবোৰ মানুহে চৰকাৰৰ পৰা কৃপা-দৃষ্টি পোৱা নাই, আইনৰ ওচৰত আশ্ৰয় পোৱা নাই, সমাজৰ কৰ্ণধাৰসকলৰ পৰা সহানুভূতি পোৱা নাই, সেই দুৰ্নীতি আৰু অন্যায়ৰ নাগপাশত জৰ্জৰিত হোৱা অসহায় দুৰ্বল মানুহবোৰে আমালৈ চিঠি লিখে— আন একো নহ'লেও অন্তৰৰ জ্বালাখিনিতো প্ৰকাশ হ'ব। সেই জ্বালাখিনিকে প্ৰকাশ কৰিবলৈ আমি পাৰ্য্যমানে চেষ্টা কৰি আহিছোঁ। আমাৰ চেষ্টাৰ যে একো ফল ধৰা নাই সিও নহয়; দুৰ্নীতিৰ বিৰুদ্ধে য'তেই আমি মাত মাতিছো ত'তেই অলপ নহয় অলপ কাম হৈছে। কিন্তু যোৱা কিছু দিন ধৰি আমাৰ অজস্ৰ পাঠকে আপত্তি কৰিছে যে সাপ্তাহিক নীলাচল নিজৰ নিৰ্দিষ্ট পথৰ পৰা ফালৰি কাটি আহিছে, অৰ্থাৎ দুৰ্নীতিৰ বিৰুদ্ধে সাপ্তাহিক নীলাচলৰ মাত দুৰ্বল আৰু সেৰেঙা হৈ আহিছে। যিসকল ৰাইজে সাপ্তাহিক নীলাচলকেই সামাজিক অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে একমাত্ৰ অস্ত্ৰ বুলি জ্ঞান কৰি আহিছিল সেই সকলে এই কাকতৰ বিন্দুমাত্ৰ দুৰ্বলতা দেখিলেও চিন্তিত হৈ পৰা অতি স্বাভাৱিক। আমাৰ সেই সকল শুভানুধ্যায়ী ৰাইজৰ উদ্দেশ্যে নিবেদন কৰিব খোজো যে আমি আমাৰ লক্ষ্য পথৰ পৰা চুলি এডালমানো লৰচৰ হ'ব খোজা নাই, কিন্তু কিছু সময়ৰ কাৰণে অৱস্থাৰ তাড়নাত আমি খোজৰ গতি কিছু ঢিলাই দিবলৈ বাধ্য হৈছোঁ— আমেৰিকা যুক্তৰাষ্ট্ৰৰ অমিত-বীৰ্য্য সম্পাদক উইলিয়াম লয়দ্ গেৰিচনৰ ভাষাত যাক ক'ব পাৰি Strategic retreat বা কৌশলগত পশ্চাদপসৰণ। গেৰিচনে দাস প্ৰথাৰ বিৰুদ্ধে অবিৰামভাৱে যুদ্ধ কৰিছিল আৰু ফলত বহুবাৰ তেওঁৰ প্ৰাণ বিপন্ন হৈছিল। এবাৰ তেওঁ তেওঁৰ কাকতত দাস ব্যৱসায়ীসকলক "ডকাইত আৰু হত্যাকাৰী" বুলি অভিহিত কৰাৰ কাৰণে আদালতত তেওঁৰ বিচাৰ হ'ল আৰু বিচাৰত কাৰাদণ্ড হ'ল। তেতিয়া নিজৰ সংগ্ৰাম বেছি শক্তিশালী কৰিবৰ কাৰণে গেৰিচনে কিছুকাল মনে মনে থাকিবলৈ বাধ্য হ'ল। আমিও যিবোৰ শক্তি বা মানুহৰ বিৰুদ্ধে যুঁজ কৰিছো তেওঁলোক বিনযুদ্ধে আত্ম-সমৰ্পণ কৰা লোক নহয়। তেওঁলোকেও আমাৰ বিৰুদ্ধে যুঁজ কৰিছে আৰু কৰিব। কিন্তু আমাৰ মনত বিন্দুমাত্ৰ সন্দেহ নাই যে ৰাইজ যদি আমাৰ পিচত থিয় দিয়ে আৰু প্ৰতি মুহূৰ্ততে আমাক ৰাইজে উৎসাহ-উদ্দীপনা যোগাই থাকে, তেন্তে সমাজৰ সকলো শত্ৰুৰ লগত আমি ভালকৈয়ে ৰণ দিব পাৰিম আৰু অৱশেষত সেই শত্ৰুবোৰক সমূলি নিৰ্মূল কৰিম।

আমাৰ কাকতখন সমাজৰ সৰু সৰু মানুহবোৰৰ অতি সৰু কাকত। কিন্তু আমাৰ লক্ষ্য অতি ডাঙৰ। সি হ'ল সমাজৰ পৰা অন্যায় আৰু অনীতি দূৰ কৰি প্ৰত্যেক মানুহৰে পৰিপূৰ্ণ বিকাশৰ কাৰণে এটা অনুকূল পৰিৱেশ সৃষ্টি কৰা। এই কামত আমি সকলো বিবেকবান আৰু শুভবুদ্ধিসম্পন্ন মানুহৰ সহযোগিতা কামনা কৰিলো।

সাপ্তাহিক নীলাচল, ৫৩ সংখ্যা : ৮ অক্টোবৰ, ১৯৬৯ চন

হেঁচা আৰু সত্যাগ্ৰহ

অসমত দ্বিতীয় তেল শোধনাগাৰ স্থাপনৰ ন্যায্য দাবীত এই ৰাজ্যৰ জনসাধাৰণে এটা অভূতপূৰ্ব গণ-আন্দোলন কৰি গোটেই দেশকে তবধ মনাইছে। এই আন্দোলন পোন্ধৰ দিন ধৰি চলিছিল; সাত লাখতকৈ অধিক মানুহে কাৰাবৰণ কৰিছিল; আদিৰ পৰা অন্তলৈকে গোটেই আন্দোলনটো আছিল শান্তিপূৰ্ণ আৰু অহিংস। অকল সেয়েই নহয়, এই আন্দোলনে অসমৰ সদৌ ৰাইজকে এনে ভাবে একত্ৰিত কৰিছিল যে এনে সৰ্বাত্মক গণ-জাগৰণৰ দ্বিতীয় এটা উদাহৰণ অসমত নাই বুলিলেই হয়। সম্প্ৰতি গান্ধী শতবাৰ্ষিকী উপলক্ষ্যে আজিৰ ভাৰতত গান্ধীৰ প্ৰাসঙ্গিকতা সম্পৰ্কে সমগ্ৰ দেশতে আলোচনা চলিছে। এই কথা প্ৰায় সকলোৱে স্বীকাৰ কৰি লৈছে যে গান্ধীজীয়ে আমালৈ এৰি থৈ যোৱা শিক্ষা সমূহৰ ভিতৰত এটা প্ৰধান শিক্ষা হ'ল অন্যায়ৰ বিৰুদ্ধে সংগ্ৰামত অহিংস সত্যাগ্ৰহক অস্ত্ৰ হিচাবে প্ৰয়োগ কৰাৰ শিক্ষা। গান্ধী শতবাৰ্ষিকী উৎসৱৰ ঠিক আগে আগে অসমৰ জনসাধাৰণে এই শিক্ষাক এনেভাবে বাস্তৱত কাৰ্য্যকৰী কৰি দেখুৱালে যে গান্ধীজীৰ পুণ্য স্মৃতিৰ প্ৰতি এইটোৱেই অসমবাসীৰ আটাইতকৈ শ্ৰেষ্ঠ শ্ৰদ্ধাঞ্জলি বুলি ক'ব পাৰি। অন্যায়ৰ বিৰুদ্ধে মানুহে দীৰ্ঘকাল ধৰি সংগ্ৰাম চলাব লাগিব, আৰু সেই সংগ্ৰামৰ কাৰণে প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰ ক্ষুৰধাৰ কৰি ৰখাৰ প্ৰয়োজন আছে। স্বাধীন ভাৰতবৰ্ষত অসমে সৰ্ব প্ৰথমবাৰৰ কাৰণে প্ৰমাণ কৰি দেখুৱালে যে গান্ধীজীৰ উদ্ভাৱিত কৌশলেৰে এতিয়াও ব্যাপক আৰু দীৰ্ঘস্থায়ী গণ আন্দোলন কৰা সম্ভৱ আৰু এই কথা প্ৰমাণ কৰি অসমে ভাৰতৰ আসন্ন সমাজ বিপ্লৱক যথেষ্ট শক্তিশালী কৰি তুললে। প্ৰকৃততে, সমসাময়িক ইতিহাসত অসমৰ এই গণ-সত্যাগ্ৰহ এটা অতি তাৎপৰ্য্য পূৰ্ণ ঘটনা আৰু এই বিষয়ে যথেষ্ট বিচাৰ বিশ্লেষণ হোৱা দৰকাৰ।

অতি আচৰিত কথা যে ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে এই সৰ্বাত্মক গণ-সত্যাগ্ৰহক এটা হেঁচা বুলিহে অভিহিত কৰিছে আৰু হেঁচাত পৰি তেওঁ অসমক তেল শোধনাগাৰ দিবলৈ অমান্তি হৈছে। কেৱল আলাপ-আলোচনা বা যুক্তিৰ দ্বাৰাই সমাজৰ সকলো সমস্যা সমাধান কৰিব পৰা হ'লে পৃথিৱীত দেশে দেশে যুগে যুগে ইমানবোৰ সংঘৰ্ষ আৰু অশান্তি নাথাকিলেহেঁতেন, ইমানবোৰ যুদ্ধ আৰু বিপ্লৱ নহ'লহেঁতেন। যুক্তি বা সত্যক সকলোৱেই স্বীকাৰ কৰে, কিন্তু স্বাৰ্থৰ সংঘাতে যুক্তিক অসহায় কৰি পেলায়। তেনে অৱস্থাত নিজৰ যুক্তি আৰু দাবীক প্ৰতিপন্ন কৰিবলৈ মানুহে সংগ্ৰাম কৰিব লগা হয়। আগতে মানুহে সংগ্ৰাম কৰিছিল অস্ত্ৰৰ সহায়েৰে, ফলত অবাঞ্ছনীয় ৰক্ত ক্ষয় হোৱাৰ উপৰিও সি সমাজত ঘৃণা আৰু বৈৰীতাৰ ৰক্তবীজ ৰোপণ কৰিছিল। তাৰ অৱসান ঘটাই গান্ধীজীয়ে আমাক দি গ'ল অহিংস সত্যাগ্ৰহৰ অস্ত্ৰ। মানৱোচিত শান্তিপূৰ্ণ উপায়েৰে জনতাৰ দাবী প্ৰকাশ কৰিবলৈ এইটোৱেই হ'ল একমাত্ৰ অস্ত্ৰ। এই কথা অৱশ্যে সঁচা যে সত্যাগ্ৰহ আন্দোলনৰ প্ৰধান উদ্দেশ্য হ'ল অন্যায়কাৰীৰ ওপৰত হেঁচাৰ সৃষ্টি কৰা, কিন্তু এই হেঁচা জোৰ-জবৰদস্তিৰ হেঁচা নহয়, সি হ'ল নৈতিক হেঁচা। আনবোৰ হেঁচাৰ লগত ইয়াৰ মাই পাৰ্থক্য এয়েই যে আন যি কোনো হিংসাত্মক হেঁচাই প্ৰতিপক্ষক নিজৰ যুক্তি বা ইচ্ছাৰ বিৰুদ্ধেও কাম কৰিবলৈ বাধ্য কৰে আৰু দুয়ো পক্ষৰে মাজত তিক্ততাৰ সৃষ্টি কৰে; আনহাতে সত্যাগ্ৰহৰ হেঁচাই প্ৰীতিপূৰ্ণ

আলাপ-আলোচনাৰ বাট মুকলি ৰাখে আৰু প্ৰতিপক্ষক নিজৰ যুক্তি প্ৰদৰ্শন কৰিবলৈ সুযোগ দিয়ে। এনে স্থলত সত্যাগ্ৰহ আন্দোলনক হেঁচা বুলি অভিহিত কৰা আৰু তেনে হেঁচাত পৰি এখন ৰাজ্যৰ সমগ্ৰ জনসাধাৰণৰ সৰ্ববাদী সন্মত দাবীকো মানি নলওঁ বুলি স্পৰ্দ্ধাৰে ঘোষণা কৰাৰ একমাত্ৰ অৰ্থ হ'ল গান্ধীজীৰ শিক্ষাক পোনে পোনে অস্বীকাৰ কৰা। অকল সেয়েই নহয়, তাৰ দ্বাৰাই জনসাধাৰণক শান্তিপূৰ্ণ আন্দোলনৰ পথৰ পৰা হিংসাত্মক সংগ্ৰামৰ পথলৈ ঠেলি দিয়াও হ'ব পাৰে। জনমতৰ হেঁচা গণতন্ত্ৰৰ এটা অপৰিহাৰ্য্য অঙ্গ— যেনেকৈ শান্তিপূৰ্ণ ধৰ্মঘট শ্ৰমিক আন্দোলনৰ এটা স্বীকৃত অস্ত্ৰ। আগতেই কোৱা হৈছে যে কেৱল যুক্তি-তৰ্কৰ দ্বাৰাই সমাজৰ সকলো সমস্যাৰ সমাধান সম্ভৱ নহয়, কাৰণ ভিন্নমুখী স্বাৰ্থৰ সংঘাতে যুক্তি বা ন্যায়কো কেতিয়াবা শক্তিহীন কৰি পেলায়। উদাহৰণ স্বৰূপে অসমে নিৰ্ভুল যুক্তি আৰু তথ্যৰ সহায়েৰে এই ৰাজ্যত দ্বিতীয় এটা তেল শোধনাগাৰ স্থাপনৰ ন্যায্যতা প্ৰতিপন্ন কৰিব পাৰিছে বুলি আমি ভাবো। কিন্তু ইন্দিৰা গান্ধীৰ ভাৰত চৰকাৰে সেইবোৰ যুক্তি আৰু তথ্য মানি লোৱা নাই, কাৰণ কৰবাত অসমৰ স্বাৰ্থ আৰু ভাৰত চৰকাৰৰ ন্যস্ত স্বাৰ্থৰ সংঘাত হৈছে। ফলত অসমত সকলো যুক্তি-তৰ্ক আৰু আবেদন-নিবেদন ব্যৰ্থ হৈছে। এনে অৱস্থাত অসমে কি কৰা উচিত? শান্ত ল'ৰাৰ দৰে ভাৰত চৰকাৰৰ অন্যায় সিদ্ধান্ত মানি লৈ নিজৰ ন্যায্য দাবী পৰিহাৰ কৰা উচিত, নে সেই অন্যায় সিদ্ধান্ত সলনি কৰিবলৈ সত্যাগ্ৰহ আন্দোলনৰ দ্বাৰা ভাৰত চৰকাৰৰ ওপৰত নৈতিক হেঁচা দিয়া উচিত? কোৱা বাহুল্য মাথোন যে এই প্ৰশ্নৰ উত্তৰ এটাই মাত্ৰ হ'ব পাৰে ঃ অসমে নিজৰ দাবী প্ৰতিপন্ন কৰিবৰ কাৰণে গণ সত্যাগ্ৰহৰ আশ্ৰয় লোৱা উচিত। চৰকাৰৰ ওপৰত জনমতৰ হেঁচা আনিবলৈ চেষ্টা কৰাটো ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ। যি চৰকাৰে এই অধিকাৰ মানি নলয় বা তেনে নৈতিক হেঁচাক উপেক্ষা কৰে, সেই চৰকাৰ গণতান্ত্ৰিক চৰকাৰ হ'ব নোৱাৰে; সেই চৰকাৰে সমাজত হিংসাত্মক বিপ্লৱক আহ্বান কৰি নিজৰ পতন নিজেই চপাই আনে। ভাৰতবৰ্ষত দাৰিদ্ৰ্য বা সামাজিক অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম এতিয়াও শেষ হোৱা নাই; সঁচা কথা ক'বলৈ গ'লে সেই সংগ্ৰাম পূৰ্ণোদ্যমে এতিয়াও আৰম্ভই হোৱা নাই। কোনোবাই যদি ভাবে যে জনসভাত দুটামান আবেগময় গৰম বক্তৃতা দি বা দুটামান বেঙ্কৰ ৰাষ্ট্ৰীয়কৰণ কৰি বা লোক সভাত দুখনমান আইন পাছ কৰিয়েই ভাৰতবৰ্ষৰ সমাজক শোষণমুক্ত কৰা সম্ভৱ হ'ব, তেন্তে তেওঁ নিশ্চয় মৰীচিকাৰ পিচে পিচেহে লৰি ফুৰিছে। ভাৰতবৰ্ষৰ সমাজ নতুন আৰু শোষণমুক্ত সাঁচত গঢ়ি তুলিবলৈ হ'লে এই দেশৰ কোটি কোটি শোষিত মানুহে সংঘবদ্ধ হৈ দীৰ্ঘকলীয়া সংগ্ৰাম চলাব লাগিব আৰু সেই সংগ্ৰাম অহিংস আৰু শান্তিপূৰ্ণ হৈ থাকিবলৈ হ'লে সত্যাগ্ৰহ আন্দোলনৰ প্ৰতি চৰকাৰে উপযুক্ত সন্মান দেখুৱাব লাগিব।

সমগ্ৰ ভাৰতবৰ্ষই যদি সত্যাগ্ৰহ কৰি দাবী কৰে যে এই দেশৰ পৰা সমস্ত বৈদেশিক অৰ্থনৈতিক শোষণৰ অন্ত পৰিব লাগে, তেতিয়াও শ্ৰীমতী গান্ধীয়ে ক'ব নেকি যে এনে হেঁচাত পৰি মই বৈদেশিক শোষণৰ অন্ত নেপেলাওঁ? ... আজিকালি কথাই কথাই সমাজবাদৰ নাম লোৱা এই মহিলা গৰাকীয়ে গান্ধীজীয়ে আমাক দি থৈ যোৱা সত্যাগ্ৰহৰ অস্ত্ৰক হেঁচা বুলি অভিহিত কৰি নিজৰে চিন্তাৰ দৈন্য প্ৰকাশ কৰিছে আৰু লগে লগে ভাৰতৰ আসন্ন সমাজ বিপ্লৱৰ এপাট শক্তিশালী অস্ত্ৰক অকামিলা কৰি পেলাবলৈ প্ৰয়াস কৰিছে। এনেবোৰ মৌলিক বিষয়ৰ ওপৰত মন্তব্য দিবলৈ যাওঁতে প্ৰধান মন্ত্ৰী বা আন কোনো দেশনেতাই দকৈ চিন্তা কৰি চোৱা উচিত।

দেশৰ অৱস্থা

দেশৰ অৱস্থা দেখি সাধাৰণ মানুহে ভয় আৰু দুশ্চিন্তাত পেঁপুৱা লাগিছে। তেওঁলোকে সম্পূৰ্ণ বিমূঢ় হৈছে। এফালে দেশে গান্ধী শতবাৰ্ষিকী পালন কৰি মুখেৰে প্ৰেম, অহিংসা আৰু মানৱীয় ভ্ৰাতৃত্বৰ জয়গান গাইছে, আনহাতে পশ্চিমে আহমেদাবাদৰ পৰা পূবে নামৰূপলৈকে ঘৃণ্যতম সাম্প্ৰদায়িক সংঘৰ্ষৰ দাবানল জ্বলাই তাত সকলো দয়া-ধৰ্ম আৰু মানৱতাবোধ বিসৰ্জন দিছে। দেশক যিসকলে নেতৃত্ব দিব লাগে তেওঁলোকৰ দেশৰ কথা ভাবিবলৈ এক মুহূৰ্তও অৱসৰ নাই; প্ৰত্যেকেই দলীয় বা ব্যক্তিগত ক্ষমতাৰ মৰণ-পণ সংগ্ৰামত আত্মহাৰা। বাইজে কোনটো দল বা কোনজন ব্যক্তিৰ মুখলৈ চাব? দেশৰ সৰ্ববৃহৎ কংগ্ৰেছ দল আজি আত্মঘাতী অন্তৰ্দ্বন্দ্বত জৰ্জৰিত; দলৰ ৰথী-মহাৰথীসকলে দুটা শিবিৰত বিভক্ত হৈ পৰস্পৰৰ প্ৰতি ৰণং দেহি হুঙ্কাৰেৰে গগন খলক্ লগাইছে। মাজতে এনে এটা ধাৰণা সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছিল যে কংগ্ৰেছৰ এই অন্তৰ্বিৰোধ আচলতে আদৰ্শৰহে যুঁজ; এই যুঁজৰ এক পক্ষত দুখীয়া বাইজৰ কাৰণে কন্দাসকল আৰু আনটো পক্ষত ধনিক শ্ৰেণীৰ প্ৰতিনিধিসকল। কিন্তু দিন যায় মানে জনসাধাৰণৰ মোহভঙ্গ হ'ব ধৰিছে। শ্ৰীমতী গান্ধী আৰু তেওঁৰ বিশ্বস্ত অনুগামী সকলেইহে যে দেশত প্ৰকৃত সমাজবাদী— এই বিষয়ে মানুহৰ মনত গভীৰ সন্দেহ উপজিছে। দুখীয়া বাইজৰ মনত প্ৰশ্ন জাগিছে, দুখীয়াৰ দুখত বিগলিত-হৃদয়া এই গৰাকী শ্ৰীমতী গান্ধীয়েই সেই প্ৰধান মন্ত্ৰী নহয়নে, যিজনাই নতুন দিল্লীৰ কোনো এটা প্ৰাসাদোপম গৃহকে নিজৰ থকাৰ উপযোগী বুলি নাভাবি পঁচিশ লাখ টকাৰ এটা নতুন অট্টালিকা নিৰ্মাণৰ আদেশ দিছিল? কথা আৰু কামৰ মাজত এই বিৰাট বিসঙ্গতি ভাৰতীয় জাতীয় জীৱনৰ এটা দুৰপনেয় কলঙ্কত পৰিণত হৈছে। প্ৰকৃত সমাজবাদৰ পথলৈ কংগ্ৰেছৰ নতুন দীন-বন্ধুসকলে কিমান আন্তৰিকতাৰে আৰু কিমান দ্ৰুত গতিৰে আগবাঢ়িব তাৰ প্ৰতি দেশৰ জনসাধাৰণে উদ্বেগ আৰু সংশয়েৰে লক্ষ্য ৰাখিছে। কিন্তু কংগ্ৰেছৰ মাজত চলা ব্যক্তিগত ক্ষমতাৰ হিংস্ৰ প্ৰতিযোগিতাত শীৰ্ষ-স্থানীয় নেতাসকল এনেভাৱে লিপ্ত হৈ পৰিছে যে এই দলে দেশক নেতৃত্ব দিয়া দূৰৰ কথা নিজৰ অস্তিত্ব ৰক্ষা কৰাই কঠিন হৈ পৰিছে বুলি জনসাধাৰণৰ মনত বদ্ধমূল ধাৰণা হৈছে। মুঠতে কংগ্ৰেছৰ ওপৰত ভৰসা ৰখা অসম্ভৱ হৈ পৰিছে। সকলোৱেই বিচাৰে যে কংগ্ৰেছৰ এটা বিকল্প লাগে। কিন্তু কোনে দিব সেই বিকল্প পথৰ সন্ধান? বাঁওপন্থী যুক্তফ্ৰণ্টে? কেৰালাত আজি যি ঘটিছে, পশ্চিম বঙ্গত যি ঘটিব ধৰিছে, সেইবোৰ দেখি শুনি অতি আশাবাদী মানুহেও বাঁওপন্থী যুক্তফ্ৰণ্টৰ ওপৰত নিজৰ বিশ্বাস অক্ষুণ্ণ ৰাখিব পাৰেনে? সাধাৰণ মানুহে বুজি পোৱা ভাষাত ক'বলৈ গ'লে সেই দুখন ৰাজ্যত আজি ক্ষমতাৰ হাড়ৰ বাবে বিভিন্ন বাঁওপন্থী দলবোৰৰ মাজত কুকুৰ-মেকুৰীৰ দৰে খোৱা-কামোৰা চলিছে। সেই যুঁজত ন্যূনতম মানৱীয় মূল্যবোধসমূহ, শালীনতা আৰু আচৰণ-বিধিও বিসৰ্জন দিয়া হৈছে। বাঁওপন্থী দলসমূহৰ ঐক্যৰ আদৰ্শক সমগ্ৰ জনসাধাৰণৰ আগত হাঁহিয়াতৰ পাত্ৰ কৰি তোলা হৈছে। এই গতিৰেই যদি উক্ত দুখন ৰাজ্যত বাঁওপন্থী যুক্তফ্ৰণ্টৰ চৰকাৰ চলি/থাকে, তেন্তে এই যুক্তফ্ৰণ্ট সম্পৰ্কেও যে জনসাধাৰণৰ সম্পূৰ্ণ মোহভঙ্গ হ'বলৈ বেছি দিন নাই, সেই বিষয়ে কোনো সন্দেহ

নাই। স্বতন্ত্র, জনসংঘ আদি স্বয়ংঘোষিত প্ৰতিক্ৰিয়াশীল দলসমূহৰ কথা এই প্ৰসঙ্গত উল্লেখ নকৰিলেও চলে।

এয়েই যদি দেশৰ অৱস্থা, কংগ্ৰেছ-অকংগ্ৰেছ সকলো দলেই যদি আজি এনেভাৱে ক্ষমতাৰ খোৱা-কামোৰাত অন্ধ, অকাৰ্য্যকৰী আৰু অনৈক্য জৰ্জৰিত, তেন্তে দেশক নেতৃত্ব দিব কোনে? দেশ চলাব কোনে? দেশৰ মানুহক আশাৰ পোহৰ দেখুৱাব কোনে? পৰৱৰ্তী নিৰ্বাচনলৈ বেছি দিন নাই। ৰাইজে কাৰ ফালে ভোট দিব? কাক বিশ্বাস কৰিব? এইবোৰ প্ৰশ্নই আজি মানুহক জুৰুলা কৰিছে। চকুৰে যিমান দূৰলৈ মণিব পাৰি, ক'তো বিন্দুমাত্ৰ আশাৰ পোহৰ নাই। কেৱল সীমাহীন অন্ধকাৰ। –

মানুহৰ মনত বহুতো প্ৰশ্ন জাগিছে, কিন্তু সেইবোৰৰ উত্তৰ দিওঁতা কোনো নাই। এনে অৱস্থাত ৰাইজে অসহায় বা নিৰুপায় হৈ হাত-ভৰি মেলি শুই পৰিলে নচলিব, তেওঁলোকে প্ৰত্যেকেই খুব কঠিনভাৱে চিন্তা কৰিবলৈ শিকিব লাগিব। নেতা মানেই ভেৰাৰখীয়া আৰু ৰাইজ মানেই গড্ডলিকা প্ৰবাহ নহয়। ৰাইজ যদি সক্ৰিয় হয়, ৰাইজে যদি চিন্তা কৰিবলৈ আৰম্ভ কৰে, আৰু ৰাইজে যদি সুস্থ ৰাজনীতি দাবী কৰে, তেহে হয়তো নেতাসকলক সজ পথলৈ ঘূৰাই অনা সম্ভৱ হ'ব পাৰে। আজি ভাৰতবৰ্ষত বিভিন্ন ৰাজনৈতিক দল আৰু মতবাদৰ অভাৱ নাই; যিটো বস্তুৰ অভাৱ হৈছে সেইটো হৈছে সততা, ত্যাগৰ আদৰ্শ আৰু মানৱ প্ৰেমৰ। সম্প্ৰতি সীমান্ত গান্ধী খান আব্দুল গফৰ খান ভাৰতত আছে। এই চিৰ-বিপ্লৱী মানৱ-দৰদী মানুহজনে ভাৰতবৰ্ষৰ নেতাসকল আৰু এই দেশৰ মানসিক বাতাবৰণৰ বিষয়ে যিখিনি কথা কৈছে, সেই কথাই এই দেশৰ জনসাধাৰণ আৰু নেতাসকলৰ চকু মুকলি কৰা উচিত। কোনোবা এজন সাংবাদিকে তেওঁক ভাৰতত থাকিবলৈ অনুৰোধ কৰিছিল। তেওঁ উত্তৰ দিছিল, তেওঁ ইয়াত নাথাকে। 'কি হ'ব ইয়াত থাকি? মই ভাৰতবৰ্ষত এশ বছৰ থাকিলেও এই দেশৰ একো উন্নতি নহয়, কাৰণ ইয়াত কোনো কাম কৰা সম্ভৱ নহয়।' এজন নিৰপেক্ষ স্পষ্টবাদী মানুহৰ চকুত এয়েই হৈছে আজিৰ ভাৰতৰ চেহেৰা। গফৰ খানে নিৰ্মমভাৱে ভাৰতৰ নেতাসকলৰ স্বৰূপ উদঙাই দিছে। তেওঁ কৈছে ভাৰতলৈ আহি তেওঁ এজনো মানুহ লগ পোৱা নাই, যিজনে কেৱল নিজৰ কথা নাভাৱি দেশৰ মানুহৰ কথা ভাৱে। প্ৰত্যেকেই ক্ষমতাৰ মোহত অন্ধ, নিজৰ স্বাৰ্থৰ চিন্তাত পাগল। ভাৰতবৰ্ষত বহুতেই পাকিস্তানৰ তুলনাত নিজকে প্ৰগতিশীল আৰু উন্নত বুলি ভাৱি আত্মপ্ৰসাদ লাভ কৰে। কিন্তু গফৰ খানে স্পষ্টভাৱে ঘোষণা কৰিছে যে ভাৰতবৰ্ষ আৰু পাকিস্তানৰ অৱস্থা সম্পূৰ্ণ একে; দুয়ো দেশৰে পৰাই বিশ্বাস আৰু জাতীয়তাবোধ সম্পূৰ্ণৰূপে অন্তৰ্হিত হৈছে।

দেশ আজি কোন ফালে গতি কৰিছে? ই এটা অতি জৰুৰী প্ৰশ্ন। এই প্ৰশ্নৰ সময়োচিত সকীয়নি দি এই মহান নেতাজনে জনগণৰ নেতৃত্ববহনকাৰী ভাৰতীয় নেতাসকলক কৈছে, 'দ্ৰুত পৰিবৰ্তনশীল এই পৃথিৱীৰ স'তে সম্বন্ধ ৰাখি তোমালোকে যদি ভাৰতীয় জনগণৰ শান্তি, সুখ আৰু স্বাচ্ছন্দ্যৰ ব্যৱস্থা কৰিবলৈ অপাৰগ হোৱা তোমালোকৰ অৱস্থা আয়ুব খাঁ নাইবা চিয়াংকাইশ্বেকৰ দৰে হ'ব।'

এই সকীয়নি প্ৰণিধানযোগ্য।

সাপ্তাহিক নীলাচল, ২৯ অক্টোবৰ ১৯৬৯ ত প্ৰকাশিত

সমাজবাদ কাৰ বাবে

আমাৰ অফিচলৈ আজি এজন মানুহ আহিছিল। প্ৰশ্ন কৰি জানিব পাৰিলোঁ— তেওঁ এজন মটৰ ড্ৰাইভাৰ। কেইদিনমানৰ আগতে তেওঁৰ এটা অসুখ আৰম্ভ হ'ল। সাধাৰণ বিষ-কোপ বুলি ভাবি ফাৰ্মেচীলৈ দৰব বিচাৰি যাওঁতে তাৰ ডাক্তৰজনে বেমাৰৰ লক্ষণ শুনি পৰামৰ্শ দিলে যে অসুখটো সাধাৰণ বিধৰ নহয়, গতিকে আগতে তেজ পৰীক্ষা কৰাই ভাল। ডাক্তৰৰ পৰামৰ্শ লৈহে ঔষধ খোৱাটো উচিত হ'ব। কাৰ্যতঃ সেই ডাক্তৰজনৰ পৰামৰ্শ মতেই ড্ৰাইভাৰজনে বেমাৰ দেখুৱাবৰ কাৰণে মেডিকেল কলেজ হাস্পাতাললৈ গ'ল। কিন্তু দুখৰ কথা যে আজিলৈকে একাদিক্ৰমে সাত দিন অহা-যোৱা কৰিও তেওঁৰ পক্ষে বেমাৰ দেখুওৱা বা তেজ পৰীক্ষা কৰা সম্ভৱ হৈ উঠা নাই। প্ৰত্যেক দিনেই ডাক্তৰে তেওঁক কয়— আজি সময় নহ'ব, কালিলৈ দুই বজাত আহিবা। পিছদিনা দুই বজাত গ'লে ক'ব— আজি সময় নহ'ব, কালিলৈ দহ বজাত আহিবা। এইদৰে সাতদিন অহা-যোৱা কৰা সত্ত্বেও কোনো এজন ডাক্তৰৰ পক্ষে এই দুখীয়া ড্ৰাইভাৰজনৰ যন্ত্ৰণাৰ কথা শুনিবলৈ সময় হোৱা নাই। ইফালে তেওঁৰ বেমাৰ বাঢ়ি গৈয়ে আছে।

আমাৰ আচল বক্তব্য দাঙি ধৰাৰ আগতে এটা কথা পৰিষ্কাৰ কৰি ল'ব খোজোঁ যে ওপৰৰ কথাখিনি আমি মেডিকেল কলেজ হাস্পাতালৰ বিৰুদ্ধে অভিযোগ হিচাবে উত্থাপন কৰা নাই। ভাৰতবৰ্ষত ৰোগী অনুপাতে চিকিৎসকৰ সংখ্যা ইমান কম যে ইচ্ছা থাকিলেও কোনো চিকিৎসকৰ পক্ষেই সকলো ৰোগীৰ প্ৰতি সমান সুবিচাৰ কৰা সম্ভৱ নহয়। ৰাষ্ট্ৰই এই সমস্যাৰ এটা স্থায়ী সমাধান নকৰা পৰ্যন্ত লাখ লাখ ৰোগী অনাদৰ-অৱহেলাত আৰু বিনা চিকিৎসাত তিলে তিলে যন্ত্ৰণা ভুগি মৰিবলৈ বাধ্য। ওপৰত উল্লেখ কৰা ৰোগীজনক সাত দিনৰ মূৰতো এদিন পৰীক্ষা কৰি চাবলৈ সময় নোহোৱাৰ কাৰণে মেডিকেল কলেজ হাস্পাতালৰ চিকিৎসকসকলৰ নিশ্চয় কিবা সঙ্গত কাৰণ থাকিব পাৰে। কিন্তু তথাপি এই কথাটো এটা বেলেগ দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চাবলৈ আমি বাধ্য হৈছোঁ। আমাৰ মনত প্ৰশ্ন হৈছে ঃ এই ৰোগীজন যদি আনৰ মটৰ গাড়ী চলোৱা আৰু ফটা-চিটা কাপোৰ পিন্ধা ড্ৰাইভাৰ নহৈ সুন্দৰ সাজ-পাৰ পিন্ধা আৰু নিজে মটৰ গাড়ীৰ মালিক আঢ্যৱন্ত পুৰুষ হ'লহেঁতেন, তেতিয়াও মেডিকেল কলেজ হাস্পাতালৰ অতি ব্যস্ত চিকিৎসকসকলে সময়ৰ অভাৱ দেখুৱাই তেওঁক সাতদিন অহা-যোৱা কৰালেহেঁতেননে? এই ৰোগীজন যদি দুখীয়া মটৰ ড্ৰাইভাৰ নহৈ গান্ধীবাদী মন্ত্ৰী বা সমাজবাদী এম. এল. এ. হ'লহেঁতেন, তেতিয়াও সময়ৰ অভাৱৰ অজুহাতত তেওঁক সাতদিন ধৰি যন্ত্ৰণাত ক্ষত-বিক্ষত হ'বলৈ এৰি দিয়া হ'লহেঁতেননে? খুব সম্ভৱ নহ'লহেঁতেন।

ভাৰতবৰ্ষত যোৱা বাইশ বছৰ ধৰি সমাজবাদৰ হৰিনাম শুনি শুনি আমাৰ কাণ ঘোলা হ'বৰ উপক্ৰম হৈছে। সমাজবাদৰ শান্তি-পানী নচটিওৱাকৈ এই দেশত কোনো এটা কামেই কৰা নহয়। এই দেশৰ প্ৰধান মন্ত্ৰীয়ে বেংকৰ জাতীয়কৰণ কৰে সমাজবাদৰ নামতেই, নিজে থাকিবৰ কাৰণে পঁচিশ লাখ টকাৰ অলকাপুৰী নিৰ্মাণ কৰায় সমাজবাদৰ নামতেই। শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰীৰ নিচিনা মন্ত্ৰীয়েও চিণ্ডিকেটৰ বিৰুদ্ধে প্ৰধান মন্ত্ৰীৰ পক্ষ লয় সমাজবাদৰ নামতেই, আনহাতে লাখ টকা দামৰ বিদেশী মটৰ গাড়ী ব্যৱহাৰ কৰে সমাজবাদৰ নামতেই। বিড়লাৰ একচেটিয়া ব্যৱসায়ৰ মুনাফা দুবছৰতে দুগুণ বৃদ্ধি হ'বলৈ সুবিধা দিয়া হয় সমাজবাদৰ নামতেই, তেওঁৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগৰ তদন্ত বাৰম্বাৰ স্থগিত ৰখা হয় সমাজবাদৰ নামতেই। ইমানখিনি

সমাজবাদ কৰাৰ পিচতো কোনোবাই বুকুত হাত দি ক'ব পাৰেনে যে এই দেশৰ কোটি কোটি আধা-পেটী, আধা-নাঙঠ মানুহবোৰে ৰাষ্ট্ৰৰ চকুত বা এই সমাজবাদীসকলৰ চকুত মানুহৰ মৰ্যাদা লাভ কৰিছে? আমি কেৱল দেখিবলৈ পাইছোঁ যে এই দেশত এতিয়াও দুখীয়া হোৱাটোৱেই আটাইতকৈ ডাঙৰ অপৰাধ; সৰু মানুহৰ জীৱনৰ কোনো মূল্য নাই বা তেওঁলোকক মানুহ বুলি গণ্য কৰাও নহয়। ফুটবল যেনেকৈ ইটো গোল পোষ্টৰ পৰা সিটো গোল পোষ্টলৈ গুৰিয়াই লৈ ফুৰোৱা হয়, ফটা-চিটা কাপোৰ পিন্ধা আৰু মুখৰ মাত নোহোৱা দুখীয়া মানুহবোৰকো তেনেকৈ ইখন দুৱাৰৰ পৰা সিখন দুৱাৰলৈ গুৰিয়াই লৈ ফুৰোৱা হয়। য'ত সকলো নাগৰিকৰ সমান অধিকাৰ আৰু মৰ্যাদা হোৱা উচিত, তেনে চৰকাৰী অনুষ্ঠানবোৰতো দুখীয়া সৰু মানুহক বাটৰ কুকুৰৰ দৰে লেই-লেই চেই-চেই ব্যৱহাৰ কৰা হয়, কিন্তু ধনী চোৰাং কাৰবাৰী, ভেজাল ব্যৱসায়ীকো ৰজাৰ দৰে অভ্যৰ্থনা কৰা হয়। চৰকাৰী চিকিৎসালয়বোৰতেই কোনোৰ দুখীয়া সৰু মানুহে যদি আশ্ৰয় বিচাৰি যায়, তেন্তে তেওঁ হয়তো সাতদিন সাত ৰাতি যন্ত্ৰণাত দেদাউৰি পাৰি আহত পশুৰ দৰে চিকিৎসালয়ৰ বাৰাণ্ডাত পৰি থাকিব লাগিব, কিন্তু কোনোবা গান্ধীবাদী মন্ত্ৰী বা সমাজবাদী এম. এল. এ. বা স্বাৰ্থবাদী চৰকাৰী বিষয়া গ'লে চীট্ খালী নাথাকিলেও মুহূৰ্তৰ ভিতৰতে চীট্ খালী কৰাৰ ব্যৱস্থা হ'ব, য'ত মাত্ৰ এজন ডাক্তৰৰ প্ৰয়োজন তাত হয়তো দহজন ডাক্তৰে তেনে ভাগ্যবান ৰোগীক ঘেৰি ধৰিব। কোনোবা চৰকাৰী বিষয়াক প্ৰাণৰ দায়ত দেখা কৰিবলৈ গৈ এজন দুখীয়া মানুহে হয়তো গোটেই দিনটো বোন্দা পৰ দি দুৱাৰমুখত বহি থাকিব লাগিব, কিন্তু আনহাতে ধনী মাৰোৱাৰী বা মন্ত্ৰী এম. এল. এ.ৰ অনুগ্ৰহপুষ্ট কোনোবা মানুহ গ'লে গোটেই দিনটো চৰকাৰী কাম খটি কৰিও মেল মাৰি থকাত কোনো বাধা নাথাকিব। মুঠ কথা এই দেশত গান্ধীবাদ, সমাজবাদ, ইন্দিৰাবাদ সকলো হৈছে বুলি আমি মানি ল'ব পাৰোঁ, কিন্তু সৰু সৰু দুখীয়া মানুহবোৰে মনুষ্যত্বৰ অধিকাৰ বা মৰ্যাদা লাভ কৰিছে বুলি আমি কেতিয়াও মানি ল'ব নোৱাৰোঁ। ভাৰতবৰ্ষত উন্নতি যদি হৈছে, নতুন সুখ-সুবিধাৰ সৃষ্টি যদি হৈছে, বা আনকি সমাজবাদ প্ৰতিষ্ঠাও যদি হৈছে— এই সকলোবোৰ হৈছে কেৱল এটা নতুন প্ৰিভিলেজ্‌ড্ ক্লাছ বা সুবিধাভোগী শ্ৰেণীৰ কাৰণে : সেই নতুন সুবিধাভোগী শ্ৰেণীটো হ'ল মন্ত্ৰী, এম. পি., এম. এল. এ., চৰকাৰী বিষয়া আৰু তেওঁলোকৰ সাংগোপাংগ অনুগ্ৰহপুষ্ট লোকসকল।

চেখভৰ এখন নাটকত এটা চৰিত্ৰ আছে। তেওঁ এজন লেখক। গোটেই জীৱন ধৰি তেওঁ এখন মাষ্টাৰপীচ লিখিবলৈ চেষ্টা কৰি আছে। আচলতে মানুহজনৰ বিন্দুমাত্ৰ সাহিত্য-প্ৰতিভা নাই, কিন্তু তেওঁ কেনেবাকৈ ঘৈণীয়েকৰ মনত এটা বদ্ধমূল ধাৰণা সুমুৱাই দিছে যে তেওঁ এজন বিৰাট প্ৰতিভাশালী লেখক। গোটেই জীৱন ধৰি তেওঁ ঘৰৰ কুটা এগছ কাম নকৰি কেৱল কিতাপ লিখাত মগ্ন, ঘৈণীয়েকে কিবা এটা সামান্য কাম কৰাৰ কথা ক'লেই তেওঁ ধমক দি উঠে যে তেওঁৰ সেইবোৰ সৰু-সুৰা কামলৈ সময় নাই, সাহিত্য সাধনাতেই তেওঁ গোটেই জীৱন উছৰ্গা কৰিছে। বেচেৰী ঘৈণীয়েকেও "প্ৰতিভাশালী" স্বামীৰ মহৎ সাহিত্য-সাধনাত যাতে কোনো প্ৰকাৰৰ বিঘিনি নঘটে— তাৰ কাৰণে নিজৰ দুৰ্বল কান্ধত সংসাৰৰ সমস্ত ভাৰ তুলি লৈ সকলো দুখ-যন্ত্ৰণা হাঁহিমুখে বৰণ কৰি লৈছে আৰু নিজৰ আৰাম-স্বাচ্ছন্দ্য অকাতৰে ত্যাগ কৰিছে। ইমানখিনিৰ মূৰত "প্ৰতিভাশালী" স্বামীয়ে কি সংসাৰত নোহোৱা-নোপোজা সাহিত্য সৃষ্টি কৰিলে সেই কথা নিশ্চয় নক'লেও হ'ব।

ভাৰতবৰ্ষৰ কোটি কোটি মূক-পবিত্ৰ জনতাকো "সমাজবাদী স্বামী"সকলে এনেকুৱা আজলী ঘৈণীৰ দৰেই ব্যৱহাৰ কৰিছে। কিন্তু এই "স্বামী"সকলৰ মূৰত যে সমাজবাদৰ সাৰ-জাবৰ একো নাই সেই কথা বেচেৰী আজলী ঘৈণীয়েকক কোনে কৈ দিব?

সেউজীয়া আৰু ৰঙা

দেশত খাদ্য উৎপাদন বৃদ্ধি কৰাৰ প্ৰথম আৰু প্ৰধান চৰ্ত হ'ল ভূমি সংস্কাৰ অৰ্থাৎ আইনৰ সহায়েৰে প্ৰকৃত খেতিয়কক পৰ্য্যাপ্ত পৰিমাণৰ মাটি দিয়াৰ ব্যৱস্থা কৰা। সামন্তবাদী ভূমি ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি আধুনিক কৃষি পদ্ধতি গঢ়ি তুলিব নোৱাৰি। অতি কম সময়ৰ ভিতৰতে জাপানে নিজৰ খাদ্য উৎপাদন এনে বিস্ময়কৰভাৱে বৃদ্ধি কৰিছে যে নিজৰ সমস্ত চাহিদা পূৰণ কৰি আৰু বিশ্বৰ বজাৰত সেই চাউল বিক্ৰী কৰিও শেষ কৰিব নোৱাৰি এতিয়া তেওঁলোকে জমা হৈ থকা চাউলবোৰ সাগৰত পেলাই দিয়াৰ কথা চিন্তা কৰিব লগা হৈছে। এনে অসাধ্য সাধন মন্ত্ৰৰ দ্বাৰা সম্ভৱ হোৱা নাই, কেৱল যন্ত্ৰৰ দ্বাৰাও সম্ভৱ হৈ উঠা নাই, সেইটো সম্ভৱ হৈ উঠিছে দ্বিতীয় মহাযুদ্ধৰ পিচত জেনেৰেল মেক আৰ্থাৰে কঠোৰ হাতেৰে জাপানৰ সামন্তবাদী ভূমি ব্যৱস্থা ভাঙি ঠান্-বান্ কৰি খেতিয়কৰ মাজত বৈজ্ঞানিক পদ্ধতিৰে মাটি বিতৰণ কৰি দিয়াৰ ফলতহে। স্বাধীনতা লাভৰ বাইশটা বছৰ আৰু তিনিটা ব্যয়বহুল পঞ্চ বাৰ্ষিক পৰিকল্পনা পাৰ হৈ যোৱাৰ পিচতো ভাৰতে আজিও যে বিদেশৰ পৰা ভিক্ষা কৰি প্ৰাণ ধাৰণ কৰিব লগা হৈছে, তাৰ এটা ঘাই কাৰণ হ'ল প্ৰকৃত খেতিয়কৰ মাজত মাটি বিতৰণ কৰি দিয়া কামত চৰকাৰৰ চূড়ান্ত ব্যৰ্থতা।

বিভিন্ন ৰাজ্য চৰকাৰসমূহে ভূমি সংস্কাৰৰ কাৰণে প্ৰগতিশীল আইন যে প্ৰনয়ণ কৰা নাই এনে নহয়, কিন্তু সেই সমস্ত আইনৰ উদ্দেশ্য হ'ল মাত্ৰ এটা ঃ অজ্ঞ জনসাধাৰণৰ চকুত ধূলি দিয়া। [illegible]ৰ কোনো ৰাজ্যতে এই আইনবোৰ কাৰ্য্যকৰী কৰিবলৈ বিন্দুমাত্ৰ চেষ্টা কৰা হোৱা নাই। বিহাৰ আৰু উত্তৰ প্ৰদে[illegible] ৰাজ্যত নতুন আইনৰ নিৰ্দেশ অনুসৰি মাটিহীন খেতিয়কৰ নামত হয়তো মণ্ডলৰ চিঠা [illegible] মাটি লিখি থোৱা আছে, কিন্তু খেতিয়কে সেইবোৰ মাটিত খেতি কৰি উঠাৰ পিচতেই ফচল তুলিবৰ সময়ত লাঠিয়াল লগত লৈ তাত হাজিৰ হয়গৈ মাটিৰ আচল মালিক; লাঠিৰ কোবেৰে খেতিয়কক খেদি আঁতৰাই পঠিয়াই ফচল ঘৰলৈ তুলি আনে জমিদাৰে। শক্তিশালী জমিদাৰৰ বিপক্ষে খেতিয়কক সহায় কৰিবলৈ পুলিচ বা অন্যান্য চৰকাৰী বিষয়া কোনো নাই, সকলোবোৰেই ধনী ভূ-স্বামীৰ কুক্ষিগত। শ্ৰীজয়প্ৰকাশ নাৰায়ণে স্বেয়েহে এবাৰ কৈছিল যে ভাৰতবৰ্ষত কংগ্ৰেছ পাৰ্টি, চচিয়েলিষ্ট পাৰ্টি আদি বহুতো পাৰ্টি অৱশ্যে আছে হয়, কিন্তু আটাইতকৈ ডাঙৰ আৰু শক্তিশালী পাৰ্টি হ'ল "ডাণ্ডা পাৰ্টি'- অৰ্থাৎ ধনী জমিদাৰ আৰু পুঁজিপতিৰ যি পাৰ্টিয়ে ডাণ্ডা বা লাঠিৰ সহায়েৰে গৰিবক পদানত কৰি ৰাখিছে— সেই পাৰ্টি। অসমতো এই 'ডাণ্ডা পাৰ্টি' নোহোৱা নহয়। এই ৰাজ্যতো চিলিং এক্ট, আধিয়াৰ এক্ট, বিক্ৰেমেচন এক্ট আদি বহুতো এক্ট বা আইন নিৰ্বোধ মাটিহীন মানুহবোৰৰ চকুত ধূলি দিবৰ কাৰণে কিতাপে-পত্ৰই লিখি থোৱা আছে, কিন্তু সেইবোৰৰ সুফল শতকৰা এজন মাটিহীন লোকেও ভোগ কৰিবলৈ পাইছেনে নাই সন্দেহ। পুলিচ আৰু মণ্ডলক কৰায়ত্ত কৰি লৈ এতিয়াও মাটিগিৰীসকলে আইনক বৃদ্ধাংগুষ্ঠ দেখুৱাই দুখীয়া মাটিহীন খেতিয়কক বৰত শোষণ কৰি আছে। সাপ্তাহিক নীলাচলৰ সম্পাদকে এবাৰ অসমৰ মুখ্যমন্ত্ৰী শ্ৰীচলিহাক এই বিষয়ে প্ৰশ্ন কৰোঁতে তেওঁ দুখীয়া খেতিয়কৰ অসহায়তা স্বীকাৰ কৰিছিল, আইন অথবা প্ৰশাসনীয় ব্যৱস্থাই তেওঁলোকক যে যথোচিত সহায় কৰিব পৰা নাই সেই কথাও স্বীকাৰ কৰিছিল— কিন্তু প্ৰতিকাৰৰ উপায় সোধাত তেওঁ

উত্তৰ দিছিল যে খেতিয়কসকলে নিজে সংগঠিত হৈ প্ৰয়োজন হ'লে আন্দোলন কৰি হ'লেও নিজৰ ন্যায্য অধিকাৰ আদায় কৰি ল'ব লাগে। কিন্তু খেতিয়কসকলক সংগঠিত কৰিব কোনে? ঠায়ে ঠায়ে অৱশ্যে খেতিয়কসকলক কিছুমান লোকে সংগঠিত কৰিছে, জমিদাৰৰ ডাণ্ডা পাৰ্টিৰ বিৰুদ্ধে খেতিয়কৰ ডাণ্ডা পাৰ্টিক তেওঁলোকে থিয় কৰি দিছে। কিন্তু এই লোকসকল হ'ল নক্সালপন্থী, যাঠি, ধনু-কাঁড় আৰু বন্দুকৰ শক্তিত বিশ্বাসী। চৰকাৰে তেওঁলোকক ধৰিব পাৰিলেই জেলত ভৰায়। নক্সালপন্থী বা আন তেনে হিংস্ৰ বিপ্লৱীৰ দলে খেতিয়কক সংগঠিত কৰাটো যদি কংগ্ৰেছ চৰকাৰে নিবিচাৰে, তেন্তে মুখ্যমন্ত্ৰী শ্ৰীচলিহাৰ নিজৰ দল কংগ্ৰেছে খেতিয়কসকলক সংগঠিত নকৰে কিয়?

নক্সালপন্থীসকলে আন কিবা কৰিব পাৰক-নোৱাৰক— এটা কাম কিন্তু ভালকৈয়ে কৰিছে। মাটিহীন দুখীয়া খেতিয়কৰ জীৱন-মৰণ সমস্যা আৰু সেই সমস্যা সমাধান নকৰিলে তাৰ ভয়াবহ পৰিণাম তেওঁলোকে নাটকীয়ভাৱে চৰকাৰৰ আগত দাঙি ধৰিছে। সেয়েহে প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীয়ে ভূমি সংস্কাৰ ত্বৰান্বিত কৰিবৰ কাৰণে টানি নিৰ্দেশ দি ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকললৈ চিঠি দিব লগা হৈছে। কিন্তু ৰাজ্য চৰকাৰ সমূহ বা বিশেষকৈ কংগ্ৰেছ নেতাসকল এই সম্পৰ্কে সজাগ হোৱাৰ কোনো লক্ষণ আমি দেখা নাই। মানুহক নিচুকনি দিবৰ কাৰণে দুদিনমান তেওঁলোকে খুব হুলস্থুল কৰে, তাৰ পিচত মানুহবোৰ ভোল যোৱা যেন দেখিলেই তেওঁলোক পুনৰ নিতাল মাৰে। অসমতো প্ৰদেশ কংগ্ৰেছৰ তিনিচুকীয়া অধিৱেশনৰ সময়ত খুব গৰম গৰম বক্তৃতা শুনা গ'ল, ৰাজহ মন্ত্ৰীয়ে সভাই-সমিতিয়ে হেন কৰিম, তেন কৰিম বুলি নানা ফোপোলা বক্তৃতা দি ঘূৰি ফুৰিলে, কিন্তু এতিয়া কামত একো নাই। ভাৰতৰ মাত্ৰ যি দুখন ৰাজ্যই চিলিং এক্টৰ সহায়েৰে বা আন প্ৰকাৰে চৰকাৰৰ হাতলৈ অনা মাটিবোৰ খেতিয়কক বিতৰণ কৰাৰ কোনো ব্যৱস্থাই আৰম্ভ কৰা নাই, তাৰ ভিতৰত অসমো এখন। মাটিহীন খেতিয়কৰ তালিকা পঞ্চায়তক কৰিবলৈ দিয়া হৈছে বুলি প্ৰচাৰ কৰি চৰকাৰে পৰম আত্মপ্ৰসাদ লাভ কৰি বহি আছে। কিন্তু পঞ্চায়তে কি ধৰণৰ তালিকা প্ৰস্তুত কৰিছে তাৰ এটা মাত্ৰ উদাহৰণ দিলেই যথেষ্ট হ'ব। নগাঁও জিলাৰ কোনো এটা অঞ্চলত সৰ্বমুঠ খেতিয়কৰ সংখ্যা মাত্ৰ পঁয়ত্ৰিশ হাজাৰজন, কিন্তু পঞ্চায়তে কৰা তালিকা মতে সেই একেটা অঞ্চলতে কেৱল মাটিহীন খেতিয়কৰ সংখ্যাই ইতিমধ্যে চল্লিশ হাজাৰ অতিক্ৰম কৰিছে, আৰু সেই সংখ্যা দিনে দিনে বাঢ়িয়েই আছে।

অসমৰ ভূমি-ব্যৱস্থা চূড়ান্ত দুৰ্নীতি, ভণ্ডামী আৰু শোষণ-নীতিৰ নাগপাশত কবলিত। মন্ত্ৰীৰ পৰা আৰম্ভ কৰি মণ্ডললৈকে কাৰো আদৰ্শবাদিতা আৰু ৰাইজৰ মঙ্গল চিন্তা নাই। ভু ৰাখোঁতা মানুহে জানে যে ঠিক এই মুহূৰ্তত অসম এটা জীৱন্ত আগ্নেয়গিৰিৰ ওপৰত বহি আছে। ভাৰতৰ পূৰ্ব প্ৰান্তক দ্বিতীয় এখন ভিয়েটনামত পৰিণত কৰিবলৈ প্ৰচণ্ড চেষ্টা চলি আছে। অতি সোনকালে মাটিহীন খেতিয়কক মাটি দিয়াৰ ব্যৱস্থা কৰিলে অসম তথা ভাৰতত এটা প্ৰকৃত সেউজীয়া বিপ্লৱ অৰ্থাৎ সেউজীয়া শস্যৰ বিপ্লৱ হ'ব পাৰে; তাকে নকৰিলে যি বিপ্লৱ হ'ব সি হ'ব ৰঙা বিপ্লৱ, অৰ্থাৎ পৃথিৱীৰ মাটি মানুহৰ তেজেৰে ৰঙা কৰা বিপ্লৱ। সেই বিপ্লৱক বাধা দিবলৈ এতিয়াও সময় আছে।

সাপ্তাহিক নীলাচল, ৫৭ সংখ্যা : ১২ নবেম্বৰ, ১৯৬৯ চন

কাৰ ভৱিষ্যতৰ কাৰণে

পিতৃ-মাতৃয়ে নিজৰ তেজক পানী কৰি হাড়ক মাটি কৰি ল'ৰা-ছোৱালীৰ কাৰণে ধন ঘটে, মাটি-বাৰী কৰে, সিহঁতৰ ভৱিষ্যতৰ সংস্থান কৰি যাবলৈ চেষ্টা কৰে। ল'ৰা-ছোৱালী যদি সুশিক্ষিত আৰু চৰিত্ৰবান হয়, সিহঁত যদি মানুহ হয়, তেতিয়া পিতৃ-মাতৃৰ সকলো ত্যাগ আৰু কষ্ট স্বীকাৰ সাৰ্থক হয়। তেওঁলোকে তেতিয়া শান্তিৰে মৰিব পাৰে। কিন্তু ল'ৰা-ছোৱালী যদি উচ্ছৃংখল আৰু বিপথগামী হয়, পিতৃ-মাতৃৰ সকলো সাধনা আৰু পৰিশ্ৰম অথলে যায়। অগাধ ঐশ্বৰ্য্য এৰি থৈ গ'লেও তেওঁলোকে সন্তানৰ ভৱিষ্যৎ সম্পৰ্কে নিশ্চিত হৈ মৰিব নোৱাৰে। জীৱনৰ শেষ দিনকেইটা দুশ্চিন্তা আৰু মনোকষ্টই তেওঁলোকক খুলি খুলি খাবলৈ ধৰে।

সমাজৰ উন্নতি আৰু মঙ্গলৰ কাৰণে আমি যিমানবোৰ কাম কৰোঁ, তাৰ বেচি ভাগেই উঠি অহা ডেকা-গাভৰু আৰু ল'ৰা-ছোৱালীহঁতৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই কৰোঁ। স্বাধীনতাৰ ঠিক পিচতেই ভাৰতৰ অৰ্ধাহাৰী-অনাহাৰী দৰিদ্ৰ জনতাই যেতিয়া তিনিটাকৈ পঞ্চ-বাৰ্ষিকী পৰিকল্পনাৰ বলে নোৱাৰা বোজা বহন কৰিব লগা হৈছিল, তেতিয়া দেশৰ নেতাসকলে আমাক বুজাইছিল যে এই সময়ত আমি নিজৰ কাৰণে একো বিচাৰিলে নচলিব, আমাৰ উঠি অহা ল'ৰা-ছোৱালী আৰু ভৱিষ্যৎ বংশধৰসকলৰ কাৰণে আমি ত্যাগ স্বীকাৰ কৰিব লাগিব। আমাৰ বৰ্তমানটো সিহঁতৰ ভৱিষ্যতৰ কাৰণে আমি উছৰ্গা কৰিব লাগিব। সন্দেহ নাই যে এই উদাত্ত আহ্বানৰ পিচত আছিল এক মহৎ আৱেগ, আৰু সেই আৱেগে আমাৰ অন্তৰ স্পন্দিত কৰি তুলিছিল।

স্বাধীনতা লাভ কৰাৰ আজি বাইশ বছৰ পাৰ হৈ গ'ল। আজিৰ পৰা দহ, পোন্ধৰ বা কুৰি বছৰৰ আগতে যিবোৰ কণ কণ ল'ৰা-ছোৱালী আৰু কিশোৰ-কিশোৰীৰ মুখলৈ চাই দৰিদ্ৰ দেশবাসীয়ে হাঁহি মুখে নিজৰ সকলো সুখ-সম্ভোগ ত্যাগ কৰিছিল, আজি সিহঁতে দীঘল-ডাঙৰ ডেকা-গাভৰু হ'ল। কিন্তু সিহঁতৰ কাৰণে দেশবাসীয়ে কৰা সাধনা আৰু পৰিশ্ৰম সাৰ্থক হৈছেনে? সিহঁতৰ মুখলৈ চাই পিতৃ-মাতৃয়ে সন্তোষৰ হাঁহি মাৰিব পাৰিছেনে? সিহঁতৰ ভৱিষ্যৎ নিৰাপদ আৰু মঙ্গলময় বুলি জানি পিতৃ-মাতৃয়ে শান্তিৰে মৰিবলৈ আশা কৰিব পাৰিছেনে?

গুৱাহাটীৰ বাটে-ঘাটে এটা পাক মাৰিলেই এই প্ৰশ্নবোৰ মনলৈ আহে, আৰু তীৰ খেলৰ টিকটৰ দোকানত জুম বান্ধি থকা ল'ৰা-ছোৱালীবোৰ দেখিলেই মনটোৱে হাহাকাৰ কৰি উঠে। আমি ক'ব খোজা নাই যে নতুন চামৰ সকলো ল'ৰা-ছোৱালীয়েই অধপাতে গৈছে, কিন্তু এটা কথাত অকণো সন্দেহ নাই যে নতুন পুৰুষৰ এটা বৃহৎ অংশ হাজাৰ হাজাৰ ল'ৰা-ছোৱালী সম্পূৰ্ণ বিপথে গৈছে। একমাত্ৰ গুৱাহাটী মহানগৰীতেই হাজাৰ হাজাৰ ল'ৰা-ছোৱালী তীৰ খেল, অৰ্থাৎ জুৱা খেলৰ নিচাত উন্মাদ, নিকৃষ্টতম আমোদ-প্ৰমোদ আৰু উত্তেজনাৰ সন্ধানত দিশহাৰা, কম-স্বৰ্গৰ বিনিময়ত অনন্ত নৰক বৰণ কৰি লোৱাৰ পথত ধাৱমান। সৎভাৱে পৰিশ্ৰম কৰি নিজৰ আৰু পৰিয়ালৰ কাৰণে দুপইচা অৰ্জন কৰাতকৈ জুৱা খেলি আলাদিনৰ চাকিৰ সহায়েৰে ৰাতিটোৰ ভিতৰতে লাখপতি হোৱাৰ বন্ধ্যা স্বপ্নই সিহঁতৰ সকলোকে পাগল

কৰি তুলিছে। সিহঁতৰ জীৱনত কোনো আদৰ্শ নাই, লক্ষ্য নাই, সৌন্দৰ্য্য-চেতনা নাই, মঙ্গল-বোধ নাই, আছে মাত্ৰ নিচা, উত্তেজনা আৰু নিকৃষ্টতম আমোদ-প্ৰমোদৰ মাজত আত্মবিস্মৃত হোৱাৰ আত্মক্ষয়ী তাড়না। কিতাপ কিনিবলৈ কাৰো পইচা নাই, কিন্তু তীৰ খেলত সৰ্বস্বান্ত হ'বলৈ কাৰো পইচাৰ অভাৱ নাই; লাইব্ৰেৰীত বা সজ আলোচনা হোৱা সভা-সমিতিত দুদণ্ড বহিবলৈ কাৰো সময় নাই, কিন্তু জুৱাৰ আড্ডাত বা নগ্ন কামোদ্দীপক বিদেশী চিনেমা চাই উন্মাদ হ'বলৈ সিহঁতৰ হাতত অনন্ত সময়। সিহঁতৰ আচৰণত কোনো শালীনতা নাই, ভাষাত কোনো সৌজন্য নাই, বেশ-ভূষাত কোনো সুৰুচি নাই,— ৰাস্তাই-ঘাটে লক্ষ্যহীনভাৱে ঘূৰি ফুৰা বা সন্ধ্যাপৰত জুৱাৰ আড্ডাত মছগুল হৈ পৰা সিহঁতৰ ভূতেপোৱা মানুহৰ দৰে মূৰ্তিবোৰ দেখিলেই মনত আতঙ্কৰ সঞ্চাৰ হয়; মনত প্ৰশ্ন হয়— ইহঁতৰ কাৰণেই আমাৰ পিতা-মাতাইঁতে সৰ্বস্ব ত্যাগ কৰিছিলনে? দেশ স্বাধীন কৰিবৰ কাৰণে আৰু গঢ়ি তুলিবৰ কাৰণে যি লাখ লাখ মানুহে আত্ম-বলি দিছিল তেওঁলোকে এই 'মনষ্টাৰ' বা কিম্ভূত-কিমাকাৰ দৈত্যৰ পোৱালিবোৰ জন্ম দিবৰ কাৰণেই বুকুৰ তেজ দিছিলনে?

আজি আমি এই কথা চিন্তা কৰিবৰ সময় হৈছে যে ল'ৰা-ছোৱালীৰ কাৰণে কেৱল ধন-সোণ ঘটি থৈ গ'লেই নহয়, সিহঁতক মানুহ কৰি থৈ যাবও পাৰিব লাগে। তাকে কৰিব নোৱাৰিলে সকলো ধন-সোণ অথলে যায়। ৰাষ্ট্ৰই বা সমাজে ভৱিষ্যৎ বংশধৰসকলৰ কাৰণে ন ন স্কুল-কলেজ কৰিছে, কল-কাৰখানা কৰিছে, ৰাস্তা-ঘাট কৰিছে,— কিন্তু সেই বংশধৰসকলক মানুহ কৰিব পাৰিছেনে নাই সেই কথা চিন্তা কৰি চাবলৈ কাৰো সময় হোৱা নাই। অলপ সময় উলিয়াই চিন্তা কৰি চালেই দেখিব যে যাৰ কাৰণে ইমানবোৰ কৰা হৈছে, সিহঁত আন সকলো হ'লেও মানুহ হোৱা নাই। অতএব ৰাষ্ট্ৰৰ বা সমাজৰ সকলো সাধনা অথলে গৈছে, প্ৰাচীন আৰ্য্যসমাজ যেতিয়া পাশা খেলৰ নিচাত অন্ধ হৈ পৰিছিল ঠিক তাৰ পিচতেই হৈছিল সৰ্বধ্বংসী কুৰুক্ষেত্ৰ যুদ্ধ। এতিয়াও তেনে এটা অৱস্থাৰেই সৃষ্টি হৈছে। আমি দেশৰ কৰ্ণধাৰ আৰু সমাজৰ নেতাসকলক আমাৰ বিপথগামী সন্তানসকলৰ ফালে অলপ চকু দিবলৈ আহ্বান জনালোঁ। গুৱাহাটী মহানগৰী জুৱা আৰু পাপাচাৰৰ এটা নৰক-কুণ্ডত পৰিণত হোৱাৰ উপক্ৰম হৈছে। আন আন ঠাইৰো নিশ্চয় একেই অৱস্থা। অতি কঠোৰ হাতেৰে এই পাপ উচ্ছেদ কৰিবলৈ এতিয়াই চেষ্টা নকৰিলে পিচত অতি পলম হৈ যাব। সন্তানক মানুহ কৰি থৈ যাব পাৰিলে ধন-সোণ দি নগ'লেও হয়, কিন্তু সিহঁতক মানুহ কৰি থৈ যাব নোৱাৰিলে হাজাৰ ধন-সোণেও সিহঁতৰ একো ভাল কৰিব নোৱাৰে।

গুৱাহাটী ৰিজাৰ্ভ বেঙ্কৰ কাৰ্য্যালয়ৰ কাৰণে মাটি

গুৱাহাটী ৰিজাৰ্ভ বেঙ্কৰ কাৰ্য্যালয় সাজিবৰ কাৰণে প্ৰথমে যি ঠাইত মাটি দিয়া হৈছিল তাত প্ৰাচীন পুৰাতত্ত্বৰ স্মৃতি-চিহ্ন আবিষ্কাৰ হোৱাত বেলেগ ঠাইত মাটি দিব লগা হয়। এতিয়া জানিব পৰা গৈছে যে গুৱাহাটী ডাক বঙলা আৰু টেনিচ্ ক্লাবৰ মাজৰ যিখিনি ঠাইত ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ বাসভৱন আছে সেই মাটিখিনিকে ৰিজাৰ্ভ বেঙ্কক দিবলৈ প্ৰস্তাৱ কৰা হৈছে। প্ৰথমে কাৰ মাথাৰ পৰা এই প্ৰস্তাৱটো ওলাইছে আমি নাজানো, কিন্তু ইয়ে অতি আপত্তিজনক আৰু দুৰভিসন্ধিমূলক প্ৰস্তাৱ সেই বিষয়ে কোনো সন্দেহ নাই। সেই মাটিখিনি ৰিজাৰ্ভ বেঙ্কক দিবলৈ হ'লে প্ৰথমতে তাত থকা ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ বাসভৱন ভাঙি পেলাব লাগিব— যাৰ ফলত লক্ষাধিক টকা অযথা নষ্ট হ'ব। সম্প্ৰতি ৰাজকোষৰ যি দেউলিয়া

অবস্থা— সহজে আৰু সোনকালে যে লাখ লাখ টকা খৰচ কৰি এই বিষয়াসকলক ঘৰ সাজি দিয়া হ'ব তাৰ কোনো আশা নাই। দ্বিতীয়তে ঘৰ সজা হ'লেও চহৰৰ ভিতৰত বা ওচৰত কোনো মাটি নাই; বহু দূৰতহে তেওঁলোকৰ কাৰণ ঘৰ সজা সম্ভৱ হ'ব। অথচ এই বিষয়াসকলৰ কাম-কাজ এনেকুৱা যে ৰাইজৰ আৰু প্ৰশাসনৰ প্ৰয়োজনত তেওঁলোকক প্ৰতি মুহূৰ্ততে লাগিয়েই থাকে। বিজাৰ্ভ বেঙ্ক চহৰৰ পৰা তিনি মাইল দূৰত হ'লেও সৰ্বসাধাৰণ ৰাইজৰ একো অসুবিধা নহ'ব, কিন্তু এই বিষয়াসকলক দূৰত ঘৰ দিলে জিলাৰ প্ৰশাসন-ব্যৱস্থাই ক্ষতিগ্ৰস্ত হ'ব আটাইতকৈ বেচি। তদুপৰি গুৱাহাটী চহৰৰ মাজ মজিয়াৰ পৰা সুন্দৰ পকা ঘৰ-দুৱাৰবোৰ ভাঙি ৰাজ্য চৰকাৰৰ বিষয়াসকলক উচ্ছেদ কৰি সেই মাটি বিজাৰ্ভ বেঙ্কক দিয়াৰ কোনো যুক্তি থাকিব নোৱাৰে। শুনিবলৈ পোৱা মতে এই দূৰভিসন্ধিমূলক প্ৰস্তাৱটোৰ মূলতে হ'ল ৰাজহ বিভাগৰ এজন উচ্চপদস্থ বিষয়াৰ জেদী মনোভাব। আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই বিষয়তে হস্তক্ষেপ কৰি এই অসৎ প্ৰস্তাৱটো বাতিল কৰিবলৈ অনুৰোধ কৰিলোঁ।

পৰিবৰ্তনৰ সূচনা

দ্বিতীয় মহাযুদ্ধৰ পাচত যিবোৰ ৰাজনৈতিক দলে প্ৰাচ্যৰ দেশসমূহৰ হৃত স্বাধীনতা পুনৰুদ্ধাৰ কৰিছিল আৰু যিসকল জননায়কে শতাব্দীৰ পাচত শতাব্দী ধৰি পদদলিত হৈ থকা এচিয়াৰ জনসাধাৰণক নতুন জীৱনৰ বাণীৰে উদ্বুদ্ধ কৰি তুলিছিল, সেইবোৰ দল আৰু সেইসকল নেতাৰ আজি ক'তো অস্তিত্ব নাই। চীনৰ কুওমিন্‌টাং, পাকিস্তানৰ মুছলিম্ লীগ, ব্ৰহ্মদেশ আৰু ইণ্ডোনেচিয়াৰ মুক্তিদাতা দুয়োটা দল— এই সকলোবোৰ দল কেতিয়াবাই ভাগি-ছিগি ছেদেলি-ভেদেলি হৈ গৈছে। চিয়াংকাইচেক্, চুকৰ্ণ, উ-নো, এনক্ৰুমা— প্ৰাচ্য জগতৰ নতুন ইতিহাস সৃষ্টি কৰোতা এই বীৰ নায়কসকলো আজি ক্ষমতা আৰু সন্মানৰ পদৰ পৰা অপসাৰিত, স্বদেশৰ পৰা নিৰ্বাসিত বা পৰিত্যক্ত। ব্যতিক্ৰম হৈ আছিল কেৱল ভাৰতৰ জাতীয় কংগ্ৰেছ। অৱশেষত এই কংগ্ৰেছৰ মাজতো ভাঙন আৰম্ভ হ'ল।

স্বাধীনতা লাভৰ পাচত প্ৰথম অৱস্থাত কংগ্ৰেছক জীয়াই ৰাখিছিল নেহৰু প্ৰমুখ্যে পুৰণি চামৰ নেতাসকলৰ বিৰাট ব্যক্তিত্বই আৰু তেওঁলোকে ভাৰতবৰ্ষৰ জনতাক দিয়া কেতবোৰ আশ্বাস আৰু প্ৰতিশ্ৰুতিয়ে পাচলৈ কংগ্ৰেছক জীয়াই ৰাখিছিল ভাৰতীয় জনতাৰ অপৰিসীম ধৈৰ্য্যশক্তি আৰু পৰিবৰ্তনকামী দলবোৰৰ মাজত ঐক্যৰ অভাৱে। ইয়াৰ উপৰিও আছিল অষ্ট-প্ৰহৰ উচ্চাৰিত হৈ থকা গান্ধীজীৰ নামৰ মন্ত্ৰশক্তি। নেহৰুৰ জীৱন কালতে তেওঁৰ আৰু কংগ্ৰেছ সম্পৰ্কে ভাৰতীয় জনসাধাৰণৰ মোহভঙ্গ হ'বলৈ আৰম্ভ কৰিছিল; তথাপি তেওঁৰ অৱশিষ্ট নৈতিক প্ৰভাৱ আৰু ব্যক্তিত্বৰ সন্মোহনী শক্তিয়ে মুমূৰ্ষু কংগ্ৰেছক জীৱনী শক্তি যোগাই আছিল। কিন্তু তেওঁৰ মৃত্যুৰ লগে লগেই কংগ্ৰেছৰ নেতৃত্বৰ ভাৰ পৰিল এনে এদল লোকৰ হাতত— যিসকল লোকক একে আষাৰতে ভাৰতৰ নব-সংগঠিত একচেটিয়া পুঁজিবাদী স্বাৰ্থৰ ক্ৰীতদাস বুলি ক'ব পাৰি। এই ক্ষুদ্ৰমনা, ক্ষমতালোভী আৰু প্ৰতিক্ৰিয়াশীল লোকসকলে নতুনকৈ প্ৰগতিশীল সমাজবাদী কাৰ্য্যসূচী হাতত লোৱা দূৰৰ কথা— কংগ্ৰেছৰ ইমান দিনৰ অতি ক্ষীণ আৰু দুৰ্বল সমাজবাদী প্ৰচেষ্টাকো ব্যৰ্থ কৰিবলৈহে তেওঁলোক উঠি-পৰি লাগিগ'ল। সৌভাগ্যৰ কথা যে এনে সময়তে কংগ্ৰেছ নেতৃবৃন্দৰ মাজত ক্ষমতাৰ কাৰণে গৃহ-কন্দল আৰম্ভ হ'ল। অৱশ্যে এই গৃহকন্দলে বৰ্তমানৰ নাটকীয় ৰূপ কেতিয়াও নললেহেঁতেন— যদিহে ১৯৬৭ চনৰ নিৰ্বাচনে পৰিবৰ্তনকামী দলসমূহৰ ক্ৰমবৰ্ধমান শক্তি প্ৰমাণ কৰি নেদেখুৱালেহেঁতেন, বা ভাৰতবৰ্ষৰ জনতাই তেওঁলোকৰ শক্তি টুটি আহিছে বুলি ঘোষণা নকৰিলেহেঁতেন। শ্ৰীমতী ইন্দিৰা গান্ধীৰ কৃতিত্ব এইখিনিতেই যে তেওঁ জনসাধাৰণৰ ভাৱগতিৰ উমান ধৰিব পাৰিছে, আৰু অগণন নিষ্পেষিত জনতাৰ পুঞ্জীভূত বেদনাৰ প্ৰতীক হৈ প্ৰতিক্ৰিয়াশীল শক্তিসমূহক ধ্বংস কৰিবলৈ আগবাঢ়ি আহিছে।

শ্ৰীমতী ইন্দিৰা গান্ধীৰ ব্যক্তিগত কৃতিত্বকো স্বীকাৰ কৰা দৰকাৰ। বিজুলি শক্তি সংবাহিত হৈ তাপ বা পোহৰৰ ৰূপ পাবলৈ কেনেকৈ এডাল তাঁৰৰ আশ্ৰয় লাগে, তেনেকৈ জনতাৰ আশা-আকাংক্ষা বা ভাবোন্মাদনাও ঐতিহাসিক শক্তিত ৰূপান্তৰিত হ'বলৈ এজোন সাহসী আৰু সংগ্ৰামী ব্যক্তিৰ অৱলম্বন লাগে। শ্ৰীমতী গান্ধীয়েই আজি সেই অৱলম্বন বুলি পৰিগণিত হৈছে। ইতিহাসে তেওঁক তাৰ উপযুক্ত স্বীকৃতি নিশ্চয় দিব।

আমি ভাবোঁ যে কংগ্ৰেছৰ বিভাজন দেশৰ কাৰণে মঙ্গলজনক। ইয়াৰ ফলত হয়তো সাময়িকভাৱে দেশত কিছু অস্থিৰতাই দেখা দিব, কিন্তু শয্যাশায়ী ৰোগীৰ কিংবা অনশনক্লিষ্ট পঙ্গুৰ স্থিৰতাতকৈ বিদ্ৰোহী মিছিলৰ অস্থিৰতা হাজাৰ গুণে বেচি কাম্য। জনতাৰ বৃহত্তৰ স্বাৰ্থ বা ভৱিষ্যতৰ প্ৰতি দৃষ্টি নাৰাখি কেৱল কংগ্ৰেছৰ দলীয় স্বাৰ্থ বা ক্ষমতা অব্যাহত ৰাখিবৰ কাৰণেই যিসকল লোকে এতিয়াও কংগ্ৰেছৰ ঐক্য প্ৰতিষ্ঠাৰ কথা ভাবি আছে বা তাৰ কাৰণে চেষ্টা কৰি আছে, তেনে চেষ্টাৰ প্ৰতি আমাৰ কোনো সমৰ্থন নাই, তেনে চেষ্টা সম্পূৰ্ণ ব্যৰ্থ হ'বলৈ বাধ্য। কিন্তু শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বত অপেক্ষাকৃতভাৱে অধিক প্ৰগতিশীল এটা নতুন কংগ্ৰেছ দলৰ জন্ম হৈছে বুলি ভাবিও এতিয়াই উৰুলীকৃত হৈ পৰিবৰ কোনো কাৰণ ঘটা নাই। এই নতুন শক্তিৰ অভ্যুদয়ক আমি আদৰণি জনাইছোঁ এই কাৰণেই যে ই আমাৰ মনত কেইটামান নতুন আশাৰ সঞ্চাৰ কৰিছে, আমাক কিছু নতুন প্ৰতিশ্ৰুতি দিছে। যিসকল লোকে এতিয়াও বিশ্বাস ৰাখিছে যে ভাৰতবৰ্ষত মাটিৰ ৰক্ত-গঙ্গা প্ৰবাহিত নকৰাকৈয়ে শান্তিপূৰ্ণ আৰু মানৱোচিত উপায়েৰে সামাজিক ৰূপান্তৰ সাধন কৰা সম্ভৱপৰ, সেইসকল লোকক নতুন সংগ্ৰামৰ কাৰণে সংঘবদ্ধ হ'বলৈ শ্ৰীমতী গান্ধীয়ে এটা 'ৰেলিং পইণ্ট' বা কেন্দ্ৰীয় অৱলম্বন দিছে। কিন্তু সেই সংগ্ৰাম এতিয়াও আৰম্ভ হোৱা নাই। যোৱা কুৰি বছৰ ধৰি কংগ্ৰেছৰ সক্ৰিয় পৃষ্ঠপোষকতাত হৃষ্ট-পুষ্ট হৈ উঠা একচেটিয়া পুঁজিবাদী আৰু প্ৰতিক্ৰিয়াশীল শক্তিসমূহ এতিয়াও মহা বলশালী। গতিকে দুই পক্ষৰ মাজত আগন্তুক সংগ্ৰাম হ'ব অতিশয় দীঘলীয়া আৰু ক্ষয়ক্ষৰ। সেই সংগ্ৰামত শ্ৰীমতী গান্ধীয়ে কেনেকুৱা নেতৃত্ব দিয়ে, আৰু কিমান মনোবল আৰু আদৰ্শ-নিষ্ঠাৰ পৰিচয় দিয়ে, তাৰ দ্বাৰাইহে তেওঁৰ স্বাৰ্থ-বুদ্ধি বা আন্তৰিকতা প্ৰমাণিত হ'ব। অৱশ্যে এই কথাও ঠিক যে তেওঁ ইতিমধ্যে এক বিপুল সংখ্যক জনসাধাৰণৰ মনত যি উৎসাহ-উদ্দীপনা আৰু প্ৰত্যাশাৰ সৃষ্টি কৰিছে, সেই উৎসাহ-উদ্দীপনা যদি তেওঁ কামত নলগায় বা সেই প্ৰত্যাশা পূৰ্ণ নকৰে, তেন্তে নতুনকৈ সৃষ্টি হোৱা এই শক্তিয়ে ইতিহাসৰ বাজ আলিৰ পৰা তেওঁক ঠেলা মাৰি পেলাই একাষৰীয়াকৈ এৰি থৈ যাব; আনহাতে এই প্ৰত্যাশা পূৰ্ণ কৰিবলৈ সমৰ্থ হ'লে তেওঁ হ'ব যুগপৎ এক নতুন শক্তিৰ উৎস আৰু পৰিচালিকা।

শ্ৰীমতী গান্ধীয়ে কংগ্ৰেছ সংসদী দলত সংখ্যাগৰিষ্ঠতা লাভ কৰিছে বুলি শুনিয়েই ইমান দিনে গান্ধীয়া-মূৰলিত জোপ লৈ থকা বহুতে মানুহে চীৎকাৰ কৰি তেওঁৰ প্ৰতি আনুগত্য ঘোষণা কৰিবলৈ আৰম্ভ কৰিছে। এইসকল লোকৰ বিষয়ে সাৱধান হোৱা দৰকাৰ। যদি শ্ৰীমতী গান্ধীৰ আদৰ্শ আৰু প্ৰস্তাৱিত কাৰ্য্যপন্থাত আস্থা থকাৰ কাৰণেই এইসকল লোকে তেওঁক সমৰ্থন কৰিছেহেঁতেন, তেন্তে তেওঁলোকৰ পক্ষে শ্ৰীমতী গান্ধীৰ প্ৰধান মন্ত্ৰীত্ব নিৰাপদ হৈ আছেনে নাই সেইটো চোৱাৰ কাৰণে অপেক্ষা কৰাৰ প্ৰয়োজন নহ'লহেঁতেন। তেওঁলোকে তেতিয়া শ্ৰীমতী গান্ধী সম্পূৰ্ণ অকলশৰীয়া বুলি জানিলেও তেওঁক সমৰ্থন দিলেহেঁতেন। দীনতাৰ ঠিক পিচতেই বহুতো চোৰাং বেপাৰী আৰু দেশদ্ৰোহীয়ে গান্ধী টুপী পিন্ধি কংগ্ৰেছী হোৱাৰ দৰে এতিয়াও বহুতো ভণ্ড সমাজবাদীয়ে শ্ৰীমতী গান্ধীৰ নৱ-লব্ধ জনপ্ৰিয়তাক তেওঁলোকৰ নিজৰ স্বাৰ্থত লগাবৰ কাৰণে তেওঁৰ দলত সোমাই ভিৰ কৰিছে। শ্ৰীমতী গান্ধীৰ আটাইতকৈ ডাঙৰ বিপদ তেওঁৰ শত্ৰুসকলতকৈ এই ভণ্ড সমাজবাদীসকলৰ পৰাহে আহিব পাৰে।

শ্ৰীমতী গান্ধীয়ে সম্প্ৰতি এটা সংখ্যালঘু চৰকাৰৰ নেতৃত্ব বহন কৰিব লাগিব। নিজেই অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত আৰু বহুধা-বিভক্ত বাঁওপন্থী দলসমূহৰ পৰা তেওঁ কিমান দূৰ নিৰ্ভৰযোগ্য আৰু কাৰ্যকৰী সমৰ্থন পাব সি যথেষ্ট সন্দেহৰ বিষয়। আমাৰ বোধেৰে এই পৰিবৰ্তিত পৰিস্থিতিত জনসাধাৰণৰ ৰায় বিচাৰি তেওঁ এটা অন্তৰ্বৰ্তী নিৰ্বাচনৰ সন্মুখীন হোৱাহে অধিক সুবিবেচনাৰ কাম হ'ব। তেতিয়া ভাৰতীয় ৰাজনীতিত আদৰ্শৰ ভেটিত গোষ্ঠী বিভাজন(Polarization) প্ৰক্ৰিয়া আৰু অধিক সুস্পষ্ট আৰু ত্বৰান্বিত হ'ব।

সাপ্তাহিক নীলাচল, ৫৯ সংখ্যা : ২৬ নবেম্বৰ, ১৯৬৯ চন

লেবেল্

ৰান্ধনীয়ে পাকঘৰত চেনি, চাহপাত, ডাইল, নিমখ, হালধী, মছলা আদি অজস্র বস্তুৰ টিনবোৰৰ মাজৰ পৰা প্ৰয়োজনত লগা বস্তুটো সহজে বিচাৰি পাবলৈ টিনবোৰত লেবেল্ মাৰি থয়। কোনোটোত ডাইলৰ লেবেল্, কোনোটোত বাদামৰ লেবেল, কোনোটোত মছলাৰ লেবেল— ইত্যাদি। এনেকৈ লেবেল্ মৰা থাকিলে কোনটো টিনত কি বস্তু আছে জানিবৰ কাৰণে প্ৰত্যেকবাৰেই টিন খুলি চাবৰ দৰকাৰ নপৰে। লেবেল্‌টো পঢ়ি চাই টিনটো টান মাৰি আনিলেই হ'ব।

মানুহৰ সমাজতো চিনাক্তকৰণৰ সুবিধাৰ কাৰণে মানুহৰ গাত লেবেল্ মাৰি থোৱাৰ নিয়ম প্ৰচলিত আছে। আমাৰ সমাজত কোনোবাজন কংগ্ৰেছী, কোনোবাজন কমিউনিষ্ট, কোনোবা প্ৰগতিশীল, আন কোনোবাজন প্ৰতিক্ৰিয়াশীল— ইত্যাদি। কামৰ সুবিধাৰ কাৰণে মানুহৰ গাত এনেকৈ লেবেল্ মাৰি থোৱাৰ হয়তো প্ৰয়োজন আছে। সমাজত প্ৰতি মুহূৰ্ততে বিভিন্ন শক্তিৰ মাজত সংঘৰ্ষ চলি থাকে, আৰু এই সংঘৰ্ষত কোন কাৰ পক্ষত সেই কথা জানিবৰ কাৰণে গাত লেবেল লগাই ফুৰাৰ প্ৰয়োজন হ'ব পাৰে।

কিন্তু মানুহ ডাইল, নিমখৰ টেমা নহয় বা ঔষধৰ বটল নহয়। ডাইলৰ টেমাত কেৱল ডাইলহে থাকে, কুইনাইনৰ বটলত কেৱল কুইনাইনহে থাকে। কিন্তু মানুহৰ হৃদয় বা মনোজগত এনে এটা বস্তু যে তাত অজস্র ভাব, অনুভূতি আৰু আদৰ্শ একেলগে পুঞ্জীভূত হৈ থাকে। একেজন মানুহৰ মনতেই বিভিন্ন পৰস্পৰ বিৰোধী ভাব বা আদৰ্শৰ সহাবস্থানো অসম্ভব নহয়। বৰং মানব প্ৰকৃতি এনেকুৱা যে ভাবৰ অন্তৰ্দ্বন্দ্বই তেওঁৰ পক্ষে স্বাভাৱিক, তেনে অন্তৰ্দ্বন্দ্ব নথকাটোহে ব্যতিক্ৰম। অৱশ্যে কিছুমান মানুহৰ মনত পৰস্পৰ বিৰোধী ভাব বা আদৰ্শই শান্তিপূৰ্ণভাৱে সহাবস্থান কৰে, আন কিছুমানৰ মনত এনেবোৰ ভাব বা আদৰ্শৰ মাজত অবিৰাম সংঘৰ্ষ চলি থাকে।

গতিকে কোৱা বাহুল্য মাথোন যে বাহিৰৰ লেবেলেই মানুহৰ প্ৰকৃত পৰিচয় নিদিয়ে। যিজন মানুহে ব্যক্তিগত সুবিধা বা সামাজিক স্বাৰ্থৰ কাৰণে নিজৰ গাত 'কংগ্ৰেছী' বুলি লেবেল্ মাৰি ঘূৰি ফুৰিছে, তেওঁৰ মনৰ ভাব হয়তো তিনি পোৱাহে কংগ্ৰেছী, বাকী এপোৱা জন-সঙ্ঘ বা মুছলিম্ লীগ। কিন্তু লেবেল্‌ৰ কল্যাণত তেওঁ সমাজত কংগ্ৰেছী বুলিয়েই চালু হৈ গৈছে। সেইদৰে বাহিৰৰ লেবেলৰ দ্বাৰা যিজন মানুহ কমিউনিষ্ট বা চচিয়েলিষ্ট বুলি পৰিচিত হৈছে, তেওঁ মনে মনে হয়তো তিনি পোৱা বা আধেৰহে কমিউনিষ্ট বা চচিয়েলিষ্ট, বাকীখিনি তেওঁ সাম্প্ৰদায়িকতাবাদী বা সংৰক্ষণশীল। অহিংস গান্ধীবাদী বুলি লেবেল্ লগাই ফুৰা বহুত মানুহেও সামাজিক অন্যায়-অবিচাৰ আৰু শোষণৰ মৰ্মন্তুদ দৃশ্য দেখি অতিষ্ঠ হৈ কেতিয়াবা কমিউনিষ্ট পন্থাকেই শ্ৰেয় বুলি ভাবিবলৈ বাধ্য হয়; সেইদৰে বহুতো কমিউনিষ্টেও সেই মতাৱলম্বী ৰাষ্ট্ৰত ব্যক্তি স্বাধীনতা পদদলিত হোৱা দেখি বা তাৰ মনলিখিক্ চৰিত্ৰত আতঙ্কিত হৈ কোনো কোনো মুহূৰ্তত গণতান্ত্ৰিক সমাজবাদ বা গান্ধীবাদী আদৰ্শৰ প্ৰতিয়েই অনুৰক্ত হয়। কিন্তু মানুহে সমাজবাদ বা গান্ধীবাদী আদৰ্শৰ প্ৰতিয়েই অনুৰক্ত হয়। কিন্তু মানুহে তেনে ব্যক্তিৰ অন্তৰ্দ্বন্দ্বখিনি নেদেখে, দেখে বাহিৰৰ লেবেল্‌খনহে।

কিছুমান মানুহে (সংখ্যাত তেওঁলোক সংখ্যালঘিষ্ঠ) নিজৰ গাত এনে লেবেল লগাই ল'বলৈ অস্বীকাৰ কৰে। তেওঁলোকে জানে যে কোনো আদৰ্শ বা কাৰ্য্যপন্থাই সম্পূৰ্ণ ত্ৰুটি শূন্য হ'ব নোৱাৰে। সেইদৰে প্ৰত্যেকটো আদৰ্শ বা কাৰ্য্যপন্থাৰ মাজতেই এনে কিছুমান গুণ বা লক্ষ্য থাকিব পাৰে— যিবোৰ সমাজৰ বাবে মঙ্গলজনক আৰু হিতকাৰক। এনে লেবেল্‌হীন লোকসকলে বস্তুনিষ্ঠভাৱে প্ৰত্যেকটো আদৰ্শৰ গুণ বা কাৰ্য্যকৰিতাৰ প্ৰতি লক্ষ্য ৰাখি নিজৰ মতামত ব্যক্ত কৰে। এনে কৰাৰ ভাওৰ বিপদো আছে। সৰ্বসাধাৰণ

মানুহ লেবেল্ দেখি দেখি এনেভাবে অভ্যস্ত বা লেবেল্ৰ অপৰিহাৰ্য্যতাৰ বিষয়ে এনেভাবে নিঃসন্দেহ যে কোনোবাই বিনা-লেবেলৰ অপৰিহাৰ্য্যতাৰ বিষয়ে এনেভাবে নিঃসন্দেহ যে কোনোবাই বিনা লেবেলে তেওঁলোকৰ সম্মুখত থিয় হৈ কিবা ক'বলৈ গ'লে তেওঁলোকৰ মনত নানা সংশয়ৰ উদয় হয়। নিৰপেক্ষ বুদ্ধিজীবীয়ে যেতিয়া একে উশাহতে কোনো এটা বিশেষ আদৰ্শৰ গুণ আৰু দোষ দুয়োটা বিশ্লেষণ কৰি দেখুৱায়, বা এদিন কোনো এটা আদৰ্শ আৰু কাৰ্য্যপন্থাৰ গুণ বখানি আন এদিন তাৰ দোষ বা কৰ্তব্য-চ্যুতি বিশ্লেষণ কৰি দেখুৱাই দিয়ে, সৰ্বসাধাৰণ মানুহে তেওঁক তেতিয়া স্ব-বিৰোধী, সুবিধাবাদী বা স্থিৰতাহীন আদি আখ্যাৰে বিভূষিত কৰে। সমাজত লেবেলহীন স্বাধীন-চিতীয়া বুদ্ধিজীবীৰ অৱস্থা অকণো ঈৰ্ষাজনক নহয়। কিন্তু এই কথাও ঠিক যে এনে স্বাধীন-চিতীয়া লোকৰ অবিহনে সমাজৰ চিন্তাধাৰা মৰাসুতিত পৰিণত হোৱাৰ ভয় থাকে। সমাজৰ কাম-কাজ সুচাৰুৰূপে চলিবলৈ লেবেলৰ প্ৰয়োজন হ'ব পাৰে, কিন্তু ই খুব বেছি এটা নেচেছেৰী ইভিল্ বা লাগতিয়াল মঙ্গল মাত্ৰ; লেবেলে মনুষ্যত্বক খণ্ডিত কৰে, অৰ্দ্ধ-সত্যক প্ৰশ্ৰয় দিয়ে, ভণ্ডামীক পৰিপুষ্ট কৰে।

০ ০ ০

লেবেলৰ বিষয়ে আৰু এটা চিন্তা কৰিবলগীয়া কথা আছে। ভাৰতৰ কংগ্ৰেছ দল সম্প্ৰতি দ্বি-খণ্ডিত হৈছে। এটাৰ গাত প্ৰগতিশীলৰ লেবেল্, আনটোৰ গাত প্ৰতিক্ৰিয়াশীলৰ লেবেল্। যিসকলে নিজৰ গাত প্ৰগতিশীল বুলি লেবেল্ মাৰিছে, তেওঁলোকৰ বহুতেই হয়তো প্ৰগতিশীল কাৰ্য্য-পন্থাত প্ৰকৃতভাৱে বিশ্বাসী। কিন্তু এনে অজস্ৰ লোকো ওলাইছে— যিসকলে প্ৰকাশ্যভাৱেই আদৰ্শতকৈ অন্যান্য কথা বিবেচনা কৰিহে প্ৰগতিশীলৰ দলত নাম লিখাইছে। কোনোৱে হয়তো নিজ নিজ ৰাজ্যত কংগ্ৰেছ দলৰ ঐক্য ৰক্ষাৰ কাৰণে, কোনোৱে মন্ত্ৰীসভাৰ স্থায়িত্বৰ কাৰণে, কোনোৱে প্ৰতিদ্বন্দ্বী উপদলক এই সুযোগতে এপিকনি দিয়াৰ কাৰণে প্ৰধানমন্ত্ৰীৰ প্ৰগতিশীল দলৰ পতাকাৰ তলত সোঁ থিয় দিছে। অৰ্থাৎ একে আষাৰতে সামৰি ক'বলৈ গ'লে তেওঁলোকে নানা কথা চিন্তা কৰি নিজৰ লেবেল্ সলনি কৰিছে। বাইজে এতিয়া প্ৰশ্ন কৰিবৰ সময় হ'ল : এনেভাবে লেবেল্ সলনি কৰাৰ ফলত ব্যক্তি-বিশেষ বা দল-বিশেষৰ হয়তো স্বাৰ্থ-সিদ্ধি হ'ব, কিন্তু তাৰ পৰা ৰাইজৰ কি লাভ হ'ব?

উদাহৰণ স্বৰূপে অসম প্ৰদেশ কংগ্ৰেছৰ কথাই ধৰা যাওক। লক্ষণ দেখি অনুমান হৈছে যে প্ৰায় সমগ্ৰ প্ৰদেশ কংগ্ৰেছেই প্ৰধান মন্ত্ৰীৰ দলত নাম লিখাইছে। অৰ্থাৎ ইমান দিনে ই পৰিচিত আছিল কেৱল কংগ্ৰেছ বুলি; এতিয়াৰ পৰা ই পৰিচিত হ'ব প্ৰগতিশীল কংগ্ৰেছ বুলি। মানুহ একেখিনিয়েই, কৰ্মী একেখিনিয়েই, মন্ত্ৰী একেখিনিয়েই; কেৱল বাহিৰটোৰ ভিতৰতে সলনি হৈ গ'ল গাৰ লেবেল্খন। কিন্তু আমাৰ এতিয়া প্ৰশ্ন : অসমৰ কংগ্ৰেছে কেৱল গাৰ লেবেল্খন সলনি কৰিয়েই ক্ষান্ত থাকিব, নে নিজৰ চৰিত্ৰৰো কিছু সলনি কৰিব? সমাজখনকো সলনি কৰিবলৈ কিছু চেষ্টা কৰিব? অসম কংগ্ৰেছৰ গাত প্ৰগতিশীল বুলি লেবেল্ লগাৰ ফলত আমাৰ শাসন-ব্যৱস্থাৰ পৰা দুৰ্নীতি দূৰ কৰিবলৈ কিছু চেষ্টা আৰম্ভ হ'বনে? কংগ্ৰেছক অতদিনে ধনে-জনে পৃষ্ঠপোষকতা কৰি অহা চোৰাং বেপাৰী, লাভখোৰ আৰু ভেজাল-ব্যৱসায়ী সকলক শাসন কৰিবলৈ কিছু ব্যৱস্থা লোৱা হ'বনে? বস্ত্ৰ-বস্তুৰ আকাশ-লংঘী দাম পৰিব মানুহে চুকি পোৱাকৈ নমাই আনিবলৈ কিছু চেষ্টা হ'বনে? সমাজৰ নতুন সুবিধা-ভোগী বেপাৰী-বিষয়া, ৰাজনীতিজ্ঞবিলাক পাপ-চক্ৰ ভাঙি সকলো মানুহকে মনুষ্যত্বৰ মৰ্যাদা দিবলৈ ভেশ সলোৱা প্ৰগতিশীলসকলে নতুন সংকল্প ল'বনে?

গাৰ লেবেলে মাত্ৰ দুনিয়াৰ কাৰণেহে সৰ্বসাধাৰণ মানুহক মুগ্ধ কৰি ৰাখিব, তাৰ পিছত তেওঁলোকে বিচাৰিব কাম। অসম কংগ্ৰেছে গাৰ লেবেল সলনি কৰিছে। চৰিত্ৰ কিমান সলনি কৰিব তাৰ প্ৰতি ৰাইজে সতৰ্ক দৃষ্টি ৰাখিব।

সাপ্তাহিক নীলাচল, ৬০ সংখ্যা : ৩ ডিচেম্বৰ, ১৯৬৯ চন

নতুন কংগ্ৰেছৰ কোষ্ঠী বিচাৰ

কংগ্ৰেছ দলৰ বিভাজন ঘটাই আৰু নতুন এটা দলৰ সৃষ্টি কৰি শ্ৰীমতী গান্ধীয়ে নিজৰ কান্ধত এক বিৰাট দায়িত্ব তুলি লৈছে। কংগ্ৰেছৰ সাংগঠনিক নেতাসকল বা তথাকথিত 'চিণ্ডিকেট'ৰ বিৰুদ্ধে শ্ৰীমতী গান্ধীৰ প্ৰধান অভিযোগ আছিল এইটোৱেই যে এই নেতাসকলে কংগ্ৰেছক সমাজবাদৰ পথত আগবাঢ়ি যাবলৈ দিব নোখোজে। শ্ৰীমোৰাৰজী দেশাই বেঙ্ক জাতীয়কৰণত উৎসাহী নহয়, শ্ৰীনিজলিংগাপ্পাই ফৰিদাবাদ কংগ্ৰেছত প্ৰকাশ্যভাৱেই ৰাজন্যবৰ্গৰ ভাট্টাৰ উদ্যোগৰ কটু সমালোচনা কৰিছিল, শ্ৰীপাটিলে বহুদিনৰ পৰাই স্বতন্ত্ৰ আৰু জনসংঘ আদিৰ দৰে প্ৰতিক্ৰিয়াশীল সোঁ-পন্থী দলসমূহৰ লগত ঘনিষ্ঠ সহযোগিতা কৰাৰ সপক্ষে ওকালতি কৰি আহিছে,— এইদৰেই দেখা যায় যে কংগ্ৰেছৰ প্ৰবীণ নেতাসকলে মুখেৰে এই দলৰ সমাজবাদী আদৰ্শৰ প্ৰতি সমৰ্থন জনালেও কামত তেওঁলোকে বিভিন্ন অজুহাতত কংগ্ৰেছৰ বাৰাম্বাৰ ঘোষিত লক্ষ্য আৰু কাৰ্য্যপন্থাসমূহৰ বিৰোধিতাহে কৰি আহিছে। এইটোও এটা মন কৰিবলগীয়া কথা যে স্থূল দেহ আৰু স্থূল বুদ্ধি শ্ৰীনিজলিংগাপ্পা কংগ্ৰেছ সভাপতি হ'বৰ দিনৰ পৰা কংগ্ৰেছৰ প্ৰতিক্ৰিয়াশীল ৰূপ দিনে দিনে অধিক প্ৰকট হৈ পৰিছিল। ফলত কংগ্ৰেছৰ তৰুণ বাঁওপন্থী দলটোৰ লগত প্ৰবীণ সোঁপন্থী দলটোৰ সংঘৰ্ষ হৈ পৰিছিল অনিবাৰ্য্য। এই সংঘৰ্ষ এৰাই চলাৰ এটাই মাত্ৰ উপায় আছিল : সেইটো হৈছে— হয় চিণ্ডিকেটে নিজৰ প্ৰতিক্ৰিয়াশীল চিন্তাধাৰা আৰু দৃষ্টিভংগী পৰিহাৰ কৰি কংগ্ৰেছক সমাজবাদৰ পথত আগুৱাই নিবলৈ আন্তৰিকভাৱে কাম কৰিব লাগিব, অথবা কংগ্ৰেছৰ উদীয়মান তৰুণ নেতাসকলে দেশত সমাজবাদ স্থাপন কৰাৰ স্বপ্ন মনৰ পৰা বিসৰ্জন দি চিণ্ডিকেটৰ প্ৰতিক্ৰিয়াশীল নেতৃত্ব বিনা প্ৰশ্নে মানি চলিব লাগিব। এই দুয়োটা বিকল্পৰ ভিতৰত কোনো এটাই যেতিয়া সম্ভৱ নহ'ল, তেতিয়া শ্ৰীমতী গান্ধীৰ নেতৃত্বত তৰুণ কংগ্ৰেছীসকলে বিদ্ৰোহ ঘোষণা কৰিলে। এই কথা হয়তো একেবাৰে অস্বীকাৰ কৰিব নোৱাৰি যে শ্ৰীমতী গান্ধীৰ ব্যক্তিগত ক্ষমতা লিপ্সাই এই বিদ্ৰোহৰ গতি ত্বৰাম্বিত কৰি তুলিছিল। নেহৰু পৰিয়ালৰ সকলোৱেই ক্ষমতা বৰ ভাল পায়। কিন্তু আমাৰ বিশ্লেষণত এবাৰ যদি এই কথা ধৰা পৰে যে কংগ্ৰেছ দলৰ দুটা আদৰ্শ আৰু দুটা গোষ্ঠীৰ মাজত সংঘাত অনিবাৰ্য্য হৈ পৰিছিল আৰু নিজৰ আদৰ্শ বিসৰ্জন নিদিয়াকৈ প্ৰগতিশীল গোষ্ঠীটোৰ পক্ষে কংগ্ৰেছত থকা কেতিয়াও সম্ভৱ নহ'লহেঁতেন, তেন্তে এই কথা স্বীকাৰ কৰিবই লাগিব যে শ্ৰীমতী গান্ধীৰ বিদ্ৰোহ সম্পূৰ্ণ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত আৰু সি এটা ঐতিহাসিক প্ৰয়োজন পূৰ্ণ কৰিছে।

কংগ্ৰেছ দল দুভাগ হোৱাৰ মূলতে স্পষ্টতঃ দুটা শক্তিয়ে কম-বেছি পৰিমাণে কাম কৰিছে। এটা হ'ল পুৰণি আৰু নতুনৰ মাজত আদৰ্শগত সংঘাত, আনটো হৈছে শ্ৰীমতী গান্ধীৰ ব্যক্তিগত ক্ষমতা-লিপ্সা। পেট্ৰল আৰু মবিল দুয়োটা মিলিহে মটৰ গাড়ী চলাৰ দৰে আদৰ্শানুৰাগ আৰু ব্যক্তিগত ক্ষমতা-প্ৰীতি দুয়োটা মিলিহে ৰাজনীতিৰ চকৰি ঠিকমতে ঘূৰায়। যিসকল লোকে আজি কংগ্ৰেছৰ বিভাজনৰ মাজত কেৱল শ্ৰীমতী গান্ধীৰ ক্ষমতা লিপ্সাহে দেখা পাইছে, আদৰ্শৰ সংঘাত একেবাৰেই দেখা নাই, তেওঁলোক হয় নিৰ্বোধ, নহয় স্বাৰ্থান্ধ। শ্ৰীমতী গান্ধীৰ ব্যক্তিগত ক্ষমতা লিপ্সাই যদি দেশত এনে এটা নতুন শক্তিৰ জন্ম দিয়ে— যি শক্তিয়ে এখোজ হ'লেও দেশক প্ৰগতিৰ বাটত আগুৱাই নিব পাৰে তেন্তে সেই ক্ষমতা-লিপ্সা দেশৰ কাৰণে মঙ্গলজনক বুলিয়েই ক'ব লাগিব। এনে হ'ব পাৰে যে শ্ৰীমতী গান্ধীয়ে কংগ্ৰেছৰ অন্তৰ্বিৰোধক নিজৰ ক্ষমতা বৃদ্ধিৰ হকে কামত লগাব খুজিছে; আমাৰ চেষ্টা হোৱা উচিত— তেওঁৰ ক্ষমতা-লিপ্সাক আমি যাতে প্ৰগতিৰ পথ সুগম কৰি তোলাৰ কামত ব্যৱহাৰ কৰিব পাৰোঁ।

শ্ৰীমতী গান্ধীৰ নেতৃত্বত এটা নতুন কংগ্ৰেছ দলৰ জন্ম হোৱাৰ লগে লগে সমগ্ৰ দেশতে কিছু উৎসাহ আৰু উত্তেজনাৰ সৃষ্টি হৈছিল। কিন্তু 'তলৰী' অধিৱেশনৰ কেতবোৰ কথা-কাণ্ড আৰু নতুন কাৰ্য্যকৰী কমিটীৰ সদস্য নিৰ্বাচনে সেই উৎসাহত কিছু চেঁচা পানী ঢলা যেন অনুমান হৈছে। শ্ৰীমতী গান্ধীৰ মহলৰ পৰা হোৱা বিভিন্ন প্ৰচাৰে জনসাধাৰণৰ মনত এনে এটা প্ৰত্যাশাৰ সৃষ্টি কৰিছিল যে এই তলৰী অধিৱেশনতে নতুন কংগ্ৰেছৰ নতুন অৰ্থনৈতিক দৰ্শন আৰু কাৰ্য্যসূচী ঘোষণা কৰা হ'ব। যি কাৰণতেই নহওক সেইটো কৰা নহ'ল। দ্বিতীয়তে, এই অধিৱেশনত প্ৰাক্তন অৰ্থমন্ত্ৰী শ্ৰীটি. টি. কৃষ্ণমাৰ্চাৰীক যিখিনি প্ৰাধান্য দিয়া হৈছে সিও বহু লোকৰ চকুত সন্দেহৰ বিষয় হৈ পৰিছে। শ্ৰীকৃষ্ণমাৰ্চাৰী অৱশ্যে শ্ৰীমতী গান্ধীৰ পুৰণি বিশ্বস্ত বন্ধু। কিন্তু নতুন কংগ্ৰেছৰ ৰেডিকেল্ দৰ্শনৰ মুখ্য প্ৰৱক্তা হিচাবে শ্ৰীকৃষ্ণমাৰ্চাৰীক গ্ৰহণ কৰিবলৈ কেৱল মাৰ্ক্সবাদী কমিউনিষ্টসকলেই নহয়, আন বহুতেই টান পাব। কাৰ্য্যকৰী কমিটীৰ সদস্য নিৰ্বাচনেও বহুতক হতাশ কৰিছে। এদল হতাশ হৈছে শ্ৰীচন্দ্ৰজিত যাদৱ প্ৰমুখ্যে প্ৰাক্তন কমিউনিষ্টসকলৰ অন্তৰ্ভুক্তিৰ কাৰণে, আনদল হতাশ হৈছে ফটেসিং গাইকোৱাৰৰ দৰে কুখ্যাত সামন্তবাদৰ প্ৰতিনিধি এজনৰ অন্তৰ্ভুক্তিৰ কাৰণে। আনকি নতুন কংগ্ৰেছৰ স্বয়ং সভাপতিজনৰ নিৰ্বাচনতো আদৰ্শৰ ঐক্যতকৈ 'প্ৰগতিশীল' গোষ্ঠীটোৰ মাজতো উপদলীয় টনা-আঁজোৰাহে বেছিকৈ ফুটি উঠিছে। মুঠতে শ্ৰীমতী গান্ধীৰ নেতৃত্বত জন্ম হ'ব ধৰা নতুন ৰাজনৈতিক শক্তিটোৱে দেশ-ব্যাপি যি উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিছিল, সেইখিনি ঘনীভূত হ'বলৈ নৌপাওঁতেই বাইজৰ মনত নতুন আশঙ্কা আৰু খেলিমেলিৰ সৃষ্টি হোৱাহে দেখা গৈছে।

তথাপি আমি ক'ব খোজোঁ যে শ্ৰীমতী গান্ধী সম্পৰ্কে এতিয়াই নিৰাশ হ'বৰ কোনো কাৰণ ঘটা নাই। কংগ্ৰেছৰ বাহিৰে-ভিতৰে যি শক্তিশালী প্ৰতিক্ৰিয়াশীল গোষ্ঠীৰ বিৰুদ্ধে তেওঁ থিয় দিছে, সেই শক্তিক পৰাভূত কৰিবলৈ হ'লে বিভিন্ন ৰণ-কৌশল প্ৰয়োগ কৰাৰ প্ৰয়োজন হ'ব। নতুন কংগ্ৰেছত ফটেসিং গাইকোৱাৰ বা কৃষ্ণমাৰ্চাৰীৰ অন্তৰ্ভুক্তি সেই ৰণ-কৌশলৰে এটা অঙ্গ বুলি আমি ধৰি লৈছোঁ। তদুপৰি কংগ্ৰেছৰ বিভাজনে ইতিমধ্যেই কেতবোৰ আশাপ্ৰদ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। 'বিদ্ৰোহী কংগ্ৰেছ' নামেৰে অভিহিত চিণ্ডিকেট-পন্থী কংগ্ৰেছীসকলে এতিয়াই কংগ্ৰেছৰ 'দহ-দফীয়া কাৰ্য্যসূচী' তুৰন্তে কাৰ্য্যকৰী কৰিব লাগে বুলি চিঞৰ-বাখৰ আৰম্ভ কৰিছে। এই 'দহ-দফীয়া কাৰ্য্যসূচী' কাৰ্য্যকৰী কৰাৰ পথত ইমান দিনে পদে পদে বাধাৰ সৃষ্টি কৰি অহা এই লোকসকলে এতিয়া যে 'হেৰল্ড'ক 'আউট্ হেৰল্ড' কৰিবলৈ—অৰ্থাৎ ইন্দিৰা-পন্থীসকলতকৈয়ো নিজকে বেছি প্ৰগতিশীল বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে, সেই বিষয়ে কোনো সন্দেহ নাই। এই সুস্থ প্ৰতিযোগিতাই নিশ্চয় কিছু পৰিমাণে দেশৰ মঙ্গল সাধন কৰিব আৰু ক্ষমতাধিষ্ট ইন্দিৰাৰ কংগ্ৰেছক আত্ম-সন্তুষ্টি লাভ কৰিবলৈ কোনো সুবিধা নিদিব। কংগ্ৰেছৰ বিভাজন নোহোৱা হ'লে এই নতুন Compulsion বা বাধ্য-বাধকতা কেতিয়াও সৃষ্টি নহ'লহেঁতেন।

দেশৰ অন্যান্য বাঁওপন্থী দলবোৰৰ বেছি ভাগৰেই কাৰ্য্যপন্থা আৰু দৃষ্টিভঙ্গী এতিয়াও বহু পৰিমাণে নেতিবাচক। তদুপৰি কেন্দ্ৰত অকংগ্ৰেছীয়াকৈ চৰকাৰ গঠন কৰিব পৰাৰ জোখাৰে কোনো এটা দলৰেই সংগঠন শক্তি আৰু জনসমৰ্থন নাই। কিন্তু কংগ্ৰেছৰ বিভাজনৰ পিচতো শ্ৰীমতী গান্ধীৰ দলে বেছি ভাগ ৰাজ্যতে এটা সাংগঠনিক ভিত্তি লাভ কৰিছে। অৱশ্যে এই কথা কোৱাৰ অৰ্থ এই নহয় যে অদূৰ ভৱিষ্যতত নিৰ্বাচন হ'লে ইন্দিৰাৰ দলে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব। বৰ্তমানৰ অস্থিৰ পৰিস্থিতিত এনে এটা ভৱিষ্যৎবাণী কৰা একেবাৰেই অসম্ভৱ। কিন্তু এটা কথা বোধহয় ক'ব পাৰি যে একক সংখ্যা-গৰিষ্ঠতা লাভ নকৰিলেও অহা কিছু দিনলৈ ইন্দিৰাপন্থী কংগ্ৰেছৰ হাততেই ৰাজনৈতিক Initiative বা আৰম্ভ সূচক ক্ষমতা থাকিব আৰু অন্যান্য সকলো দলেই ইন্দিৰাৰ গতি-বিধিলৈ লক্ষ্য ৰাখিহে নিজৰ কাৰ্য্য-পন্থা ঠিক কৰিব লাগিব। সেয়েহে ইমানেই ক'ব পাৰি যে ইন্দিৰা গান্ধীৰ নেতৃত্বত নতুন কংগ্ৰেছৰ অভ্যুদয়ে এটা ঐতিহাসিক প্ৰয়োজন পূৰ্ণ কৰিছে। কিন্তু ই মাত্ৰ সূচনাহে। নতুন কংগ্ৰেছৰ বিৱৰ্তন কোন পথেৰে আগবাঢ়ে সি এতিয়াও পৰিষ্কাৰ হৈ উঠা নাই। গতিকে এই সম্পৰ্কে শেষ কথা ক'বলৈ এতিয়াও সময় হৈ উঠা নাই।

আমি হাঁহিবলৈ পাহৰিছোঁ

"জগতৰ বৰ্তমান পৰিস্থিতিত 'লেম্পোন্' অৰ্থাৎ ব্যক্তিগত বিদ্ৰূপাত্মক ৰচনা নিলিখাকৈ থকাটো একেবাৰে অসম্ভব হৈ উঠিছে।" কথাষাৰ কৈছিল ৰোমান কবি জুভেনালে, প্ৰায় দুহাজাৰ বছৰৰ আগতে। ৰোম সাম্ৰাজ্যৰ কি বিশেষ পৰিস্থিতিলৈ লক্ষ্য কৰি জুভেনালে এই কথাষাৰ কৈছিল সেই কথা ইতিহাসৰ ছাত্ৰসকলেহে ভালকৈ জানিব; কিন্তু সাহিত্যৰ ইতিহাস মেলি চালে দেখা যায় যে দেশে দেশে যুগে যুগে সদায় এনে একোটা পৰিস্থিতিৰ উদ্ভৱ হৈ আহিছে— যি পৰিস্থিতিত সমাজৰ পাপ, অনাচাৰ, দুৰ্নীতি আৰু ভণ্ডামীৰ বিৰুদ্ধে তীব্ৰ ব্যঙ্গবাণ নিক্ষেপ কৰাৰ প্ৰয়োজন অপৰিহাৰ্য্য বুলি অনুভৱ কৰা হৈছে। প্ৰাচীন গ্ৰীচত আৰ্চিলোকাচৰ পৰা আৰম্ভ কৰি আৰিষ্টফানিচলৈকে, ৰোমত গেয়াচ্ লুচিয়াচৰ পৰা জুভেনাল্ আৰু লুচিয়ানলৈকে, নৱ-জাগৃতিৰ যুগত 'ৰে'ণাৰ্ড ফক্স'ৰ স্ৰষ্টাসকলৰ পৰা আৰম্ভ কৰি উলৰিখ্ ভন্ হাটেনলৈকে, তাৰ পিচৰ যুগবোৰত স্পেইনৰ চাৰ্ভেন্টিচ্, ইংলেণ্ডৰ চুইফ্‌ট্, জাৰ্মানীৰ হাইনে, ফ্ৰান্সৰ ভল্টেয়াৰ আৰু মলিয়াৰ আদিৰ পৰা বৰ্তমান যুগৰ জৰ্জ বাৰ্ণাৰ্ড শ্বলৈকে এনে কিছুমান লোকে তীব্ৰ ব্যঙ্গ-বাণেৰে সমাজৰ অনাচাৰ আৰু ভণ্ডামীক আক্ৰমণ কৰাৰ পথ বাছি লৈছে— যি সকল লোকক বিশ্ব-সাহিত্যৰ অবিনাশী কীৰ্ত্তি-স্তম্ভ বুলি গণ্য কৰা হয়।

মানুহৰ বহুতো সংজ্ঞাৰ ভিতৰত এটা তাৎপৰ্য্যপূৰ্ণ সংজ্ঞা হ'ল এয়েই যে মানুহ এটা হাঁহিব পৰা প্ৰাণী (Man is a laughing animal.) অৰ্থাৎ সকলো প্ৰাণীৰ ভিতৰত কেৱল মানুহেহে হাঁহিব পাৰে। হায়েনয়ো হাঁহে বুলি বহুতে কয়, কিন্তু মানবীয় অৰ্থত হাঁহি বুলিলে যি বৈচিত্ৰ্যময় ধাৰণা আমাৰ মনলৈ আহে— হায়েনাৰ হাঁহি সেই ধৰণৰ হাঁহি নিশ্চয় নহয়। যি কোনো অসংগতিপূৰ্ণ পৰিস্থিতিয়েই আমাৰ মনত হাঁহিৰ উদ্ৰেক কৰে। অৱশ্যে আনন্দ অনুভৱ কৰিলেও আমি স্বতস্ফূৰ্তভাৱেই হাঁহোঁ, কিন্তু বয়সীয়া মানুহে জীৱনত বিমানবাৰ হাঁহে তাৰ হেতু বা কাৰণ বিশ্লেষণ কৰিলে দেখা যাব যে স্বাভাৱিক বা প্ৰত্যাশিক অৱস্থাৰ লগত বাস্তৱ ঘটনাৰ যেতিয়াই সংঘৰ্ষ হয় বা অসংগতিপূৰ্ণ পৰিস্থিতিৰ উদ্ভৱ হয়, তেতিয়াই আমি হাঁহোঁ, বিদ্ৰূপ কৰোঁ, কৌতুক অনুভৱ কৰোঁ। সৰু ল'ৰাই যেতিয়া বয়সীয়া মানুহৰ দৰে কথা কয়, আমি তেতিয়া হাঁহোঁ; চুৰিয়াৰ লগত কোনোবাই যেতিয়া নেক্‌টাই মাৰে, আমি হাঁহোঁ; বিলাতী কায়দাৰে খাবলৈ বহি কোনোবাই যেতিয়া কাটা-চামুচৰ ভুল ব্যৱহাৰ কৰে, আমি হাঁহোঁ। অৰ্থাৎ হাঁহি মানেই এক প্ৰকাৰৰ প্ৰচ্ছন্ন সমালোচনা।

কোনো অৱস্থাতেই সমাজ বা ব্যক্তি নিখুঁত আৰু সম্পূৰ্ণ হ'ব নোৱাৰে। গতিকে সমালোচনাৰ প্ৰয়োজন সদায় থাকে। কিন্তু আন সকলো প্ৰকাৰৰ সমালোচনাতকৈ ব্যঙ্গ-সমালোচনা কেইবাটাও কাৰণত অধিক ফল-প্ৰসূ আৰু বাঞ্ছনীয়। প্ৰথমতে— ই অধিক মানবীয়। দ্বিতীয়তে— ই আঘাত কৰাৰ লগে লগে আনন্দও দিয়ে। অন্ততঃ দ্ৰষ্টা বা শ্ৰোতা বা পাঠকসকলক। তৃতীয়তে— ই অধিক মৰ্মঘাতী, অতএৱ সৰ্বাধিক কাৰ্য্যকৰী। ৰাবেলা বা ভল্‌টেয়াৰৰ একোটা ব্যঙ্গবাণে হাঁহিত মানুহৰ পেটু নাড়ী ছিঙিও সমাজৰ যিমানখিনি জঞ্জাল একে কোবতে চাফ কৰি দিব পাৰে, গোমোৰামুখীয়া বিশ্বকোষ প্ৰণেতাসকলৰ বা পণ্ডিতসকলৰ লাখ লাখ নীতিবাক্যয়ো সিমানখিনি কাম কৰিব নোৱাৰে। ইত্যাদি কাৰণতে প্ৰতিভাবান

সংস্কাৰকসকলে সমাজক নিৰ্মল কৰিবলৈ যুগে যুগে ব্যঙ্গ-সমালোচনাৰ আশ্ৰয় লৈ আহিছে।

অসমীয়া সাহিত্যও ব্যঙ্গ-সমালোচনাত একেবাৰে দুখীয়া নহয়। অসমীয়া সাহিত্যৰ আধুনিক যুগৰ সূচনাৰ সময়তেই হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই ব্যঙ্গবাণ হাতত তুলি লৈছিল, সত্যনাথ বৰাৱো সেই তূণ পূৰ্ণ কৰাত কিছু বৰঙণি আগবঢ়াইছিল, অৱশেষত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত পৰি সেই অস্ত্ৰই লাভ কৰিছিল শানিত ক্ষুৰধাৰ। জেক্‌ নামৰ এজন চিন্তাশীল লোকে কৈ গৈছে যে ব্যঙ্গ সমালোচনা হোৱা উচিত চোকা তৰোৱালৰ দৰে- যাতে সি একে ঘাপতে কাটিব পাৰে; কৰতৰ নিচিনাকৈ সি মহুৰ ঠৈটালি ঠেটালি কটা উচিত নহয়। লক্ষ্মীনাথ বেজবৰুৱাৰ কিছুমান ব্যঙ্গাস্ত্ৰ অৱশ্যে কৰত হৈয়েই ৰৈছিল; কিন্তু এটা বিষয়ে কোনো সন্দেহ নাই যে তেওঁৰ কথাৰ কোবত হাঁহিৰ জোকাৰণিত মানুহৰ সৰ্ব-শৰীৰ যেনেকৈ কঁপি উঠিছিল, সেই কঁপনিত সমাজতো এটা সৰু-সুৰা ভূমিকম্পৰ সৃষ্টি হৈছিল। বেজবৰুৱাৰ পিচতো বাহিৰে মহীচন্দ্ৰ বৰাৰ ৰচনাত আৰু কিছু পৰিমাণে হলিৰাম ডেকাৰ ৰচনাত অসমীয়া ব্যঙ্গবাণ ব্যৱহাৰযোগ্য অৱস্থাত মামৰে নধৰাকৈ আছিল। কিন্তু যোৱা বহু বছৰ ধৰি আমি এটা কথা অতি দুখেৰে সৈতে লক্ষ্য কৰিছোঁ যে আমি অসমীয়া মানুহবোৰে হাঁহিবলৈ, ঠাট্টা-তামাছা কৰিবলৈ, কৌতুক অনুভৱ কৰিবলৈ একেবাৰে পাহৰি গৈছোঁ। সমাজৰ অন্যায়, অনাচাৰ বা অসংগতি যে আমাৰ চকুত নপৰে এনে নহয়, সেইবোৰ যে আমি সমালোচনা নকৰোঁ এনেও নহয়, কিন্তু আমি সমালোচনা কৰোঁ খঙত জ্বলি-পকি বা মুখ ক'লা কৰি; হাস্যৰসৰ অমোঘ অস্ত্ৰ প্ৰয়োগ কৰাৰ কথা আমি প্ৰায় পাহৰিয়েই গৈছোঁ। 'কুমাৰ শ্ৰীমধুসূদন' বা 'ভদ্ৰভদীয়াৰ' দৰে দুই-এজনে এৰাধৰাকৈ এই চেষ্টা কৰি আছে, কিন্তু তেওঁলোকৰ কৌতুক সৃষ্টিৰ চেষ্টা সাহিত্যতকৈ সাংবাদিকতাৰ প্ৰয়োজনতহে বেছিকৈ হোৱাত সি আমাৰ ৰস-তৃষ্ণা নিবাৰিত কৰিব পৰা নাই আৰু সামাজিক সমালোচনাৰো অমোঘ অস্ত্ৰত পৰিণত হৈ উঠা নাই। দুই-এজন ডেকা লেখকৰ ৰচনাত মাজে মাজে তীব্ৰ বিদ্ৰূপ বা বক্ৰোক্তি দেখা যায়; আকাশ বাণীৰ দেওবৰীয়া নাট্যানুষ্ঠানত শ্ৰোতাক হুঁহুৱাবৰ কাৰণে [illegible] চেষ্টা কৰা হয়; কিন্তু হিউমাৰৰ অভাৱত প্ৰথম বিধ ৰচনা কেৱল কটূক্তি বা ভৰ্ৎসনা ([illegible]ive) হৈয়েই থাকে, আৰু প্ৰকৃত কলা-ৰূপ বা সাহিত্যিক সৌন্দৰ্য্যৰ অভাৱত দ্বিতীয় বিধ ৰচনাৰ বেছি ভাগেই হয় কেৱল ৰহুৱালী (Clowning)। দেশৰ বৰ্তমান পৰিস্থিতিত— বিশেষকৈ সমাজৰ সৰ্বক্ষেত্ৰতে নেতৃস্থানীয় লোকসকলৰ বান্দৰামী আৰু ভণ্ডামী দেখি দেখি— জুভেনালৰ দৰে আমিও অনুভৱ কৰিছোঁ যে এই সময়ত লেম্পোন নিলিখাকৈ থকা অসম্ভৱ। অথচ আচৰিত কথা এয়ে যে অসমীয়া ভাষাত ব্যঙ্গ সাহিত্যৰ অস্তিত্ব নোহোৱাহে হৈ আহিছে। ই ভালৰ লক্ষণ নহয়। জাতি হিচাবে ই আমাৰ কিবা এটা মানসিক ব্যাধি বা দৈন্যৰ কথাহে প্ৰকাশ কৰিছে। আমাৰ সমাজৰ প্ৰতিভাশালী জন-দিয়েক লিখকক ব্যঙ্গবাণ হাতত তুলি লবলৈ আমি আহ্বান জনালোঁ। চাৰ্চিলে কোৱাৰ দৰে— To lash the vices of a guilty age– এই অপৰাধী যুগটোৰ অনাচাৰ— অনীতিক তীব্ৰভাৱে আঘাত কৰিবলৈ ব্যঙ্গবাণৰ অতিশয় প্ৰয়োজন হৈ পৰিছে।

সাপ্তাহিক নীলাচল, ৬২ সংখ্যা ঃ ১৭ ডিচেম্বৰ, ১৯৬৯ চন

বোম্বাই আৰু আহমেদাবাদ

কংগ্ৰেছ দল দুটা ভাগত বিভক্ত হ'ল আৰু বহুতো কংগ্ৰেছীয়েই এটা নহয় এটা ভাগত যোগ দিলে। কিন্তু আন বহুতেই এতিয়াও মন স্থিৰ কৰিব পৰা নাই। ডিচেম্বৰ মাহৰ ভিতৰতে বোম্বাই আৰু আহমেদাবাদত যথাক্ৰমে ইন্দিৰা পন্থী আৰু চিণ্ডিকেট পন্থী কংগ্ৰেছৰ পূৰ্ণাঙ্গ সাধাৰণ অধিৱেশন বহিব। এই দুই অধিৱেশনতে কংগ্ৰেছ দলৰ বিভাজনে সম্পূৰ্ণতা লাভ কৰিব, আৰু তাৰ পিচৰ পৰাই দুটা নতুন দলৰ নতুন যাত্ৰা-পথ আৰম্ভ হ'ব। যিসকল কংগ্ৰেছী লোকে এতিয়াও মন স্থিৰ কৰিব পৰা নাই তেওঁলোকৰ সমুখত প্ৰশ্ন হৈছে ঃ তেওঁলোক ক'লৈ যাব? বোম্বাই নে আহমেদাবাদলৈ?

এক প্ৰকাৰে চাবলৈ গ'লে ই কংগ্ৰেছ দলৰ অভ্যন্তৰীণ বিষয়; কোন কংগ্ৰেছী কোনখন কংগ্ৰেছলৈ যায় সেইটো তেওঁলোকৰ ব্যক্তিগত বা দলীয় কথা। কিন্তু বিভক্ত হোৱাৰ পিচতে কংগ্ৰেছ এতিয়াও দেশৰ বৃহত্তম ৰাজনৈতিক দল হৈয়েই আছে, আৰু তেওঁলোকৰ গতি-বিধিৰ প্ৰতি উদাসীন হৈ থকাটো কাৰো পক্ষে সম্ভৱ নহয়। সেই ফালৰ পৰা বিচাৰ কৰি আমি ক'ব খোজোঁ যে কংগ্ৰেছ দলৰ লোকসকলে বোম্বাইলৈ গৈ ইন্দিৰা-পন্থী কংগ্ৰেছক শক্তিশালী কৰি তুলিলে দেশৰ স্বাৰ্থত অধিক সহায়তা কৰা হ'ব।

এইখিনিতে স্বাভাৱিকতেই এই প্ৰশ্ন উঠিব ঃ কিয় আমি ইন্দিৰা-পন্থী কংগ্ৰেছক শক্তিশালী কৰা উচিত? নতুন কংগ্ৰেছৰ আদৰ্শ আৰু কাৰ্য্যসূচী কি তাকেই আজিলৈকে ঘোষণা কৰা হোৱা নাই। তেনেস্থলত ইন্দিৰা-পন্থী কংগ্ৰেছে কি কৰিব খুজিছে সেই কথা নজনাকৈ আমি তেওঁলোকক কিয় সমৰ্থন জনাম? এই প্ৰশ্ন সম্পূৰ্ণ যুক্তিসঙ্গত। 'নেচাই দেলে গালৈহে দায়' বুলি কথা এষাৰ আছে। (বহু দিনৰ আগতে চৰকাৰী বিষয়াসকলৰ এটা পৰীক্ষা হৈছিল। পৰীক্ষাত এটা প্ৰশ্ন আছিল ঃ Look before you leap— এই ইংৰাজী বাক্যটো অসমীয়ালৈ তৰ্জমা কৰিব লাগে। এজন অসমীয়া বিষয়াই তৰ্জমা কৰিলে— 'জাঁপ মৰাৰ আগতে আগলৈ চাই ল'ব লাগে'। অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীৰ অবিস্মৰণীয় পুৰুষ কৰ্ণেল পি. টি. গৰ্ডন চাহাবো আছিল এজন পৰীক্ষাৰ্থী। তেওঁ তৰ্জমা কৰিলে— 'নেচাই দেলে গালৈহে দায়।'— কিন্তু এহো বাহ্যঃ) ইন্দিৰা-পন্থী কংগ্ৰেছে তেওঁলোকৰ বিশদ কাৰ্য্যসূচী এতিয়ালৈকে প্ৰকাশ নাই কৰা যদিও ইতিমধ্যেই এটা কথা স্পষ্ট হৈ উঠিছে যে কংগ্ৰেছৰ ভিতৰত যিটো গোষ্ঠী অপেক্ষাকৃতভাৱে তৰুণ, প্ৰগতিবাদী আৰু ভৱিষ্যৎ-মুখী— তেওঁলোক সকলোৱেই ইন্দিৰাৰ দলত আছে। তেওঁলোকে দ্ব্যৰ্থ-হীন ভাষাৰে দেশত সমাজবাদ প্ৰতিষ্ঠাৰ সঙ্কল্পৰ কথা ঘোষণা কৰিছে। একে ৰাতিৰ ভিতৰতে চৈধ্যটা বৃহৎ বেঙ্কৰ জাতীয়কৰণ কৰি তেওঁলোকে ইতিমধ্যে নিজৰ অদম্য সাহস আৰু আন্তৰিকতাৰো প্ৰমাণ দিছে। মুঠতে তেওঁলোকৰ মৌলিক দৃষ্টিভঙ্গী জন-স্বাৰ্থৰ অনুকূল। তাৰ তুলনাত চিণ্ডিকেটৰ নেতৃত্ব মানি চলা বাৰ্ধক্য-জৰ্জৰিত কংগ্ৰেছী উপদলটোৰ দৃষ্টিভঙ্গী সম্পূৰ্ণ ৰূপে প্ৰতিক্ৰিয়াশীল আৰু পশ্চাদ্‌মুখী। তেওঁলোকে দেশত স্থিতাৱস্থা বাহাল ৰাখি নিজৰ ক্ষমতা অক্ষুন্ন ৰাখিব খোজে। মোৰাৰজী দেশাই আৰু পাটিলৰ নিচিনা মানুহ যি দলত থাকে সেই দলৰ পৰা সমাজবাদী আৰু প্ৰগতিবাদী কাৰ্য্য-সূচী আশা কৰাটো পৰ্বতত কাছ-কণী বিচৰাৰ দৰে একে কথা। পাটিল চাহাবৰ সাম্প্ৰদায়িকতা, পুঁজিপতি প্ৰেম আৰু বহুবালী সৰ্বজনবিদিত। মোৰাৰজী দেশায়ে আজি ইন্দিৰা গান্ধীক একনায়কত্ববাদী বুলি ক'বলৈ প্ৰয়াস কৰিছে, কিন্তু ভাৰতৰ মানুহে এই কথা নিশ্চয় পাহৰি যোৱা নাই যে লোক-সভাত এবাৰ স্বৰ্ণ নিয়ন্ত্ৰণ বিলৰ আলোচনাৰ সময়ত সংখ্যাগৰিষ্ঠ সদস্যই এই বিষয়ে তেওঁক এটৰ্নী জেনেৰেলৰ লগত আলোচনা কৰিবলৈ পৰামৰ্শ দিয়াত সমগ্ৰ লোক-সভাই এক-মুখে

সেই দাবী কৰিলেও তেওঁ তাক মানি নলয় বুলি সদম্ভে ঘোষণা কৰিছিল। গণতান্ত্রিক মনোভাবৰ কি অপূৰ্ব চানেকি। তেওঁ এনে অদ্ভুত জেদী আৰু আঁকোৰ গোঁজালি মনোভাবৰ মানুহ যে নিজৰ জীয়েকে আত্ম-হত্যা কৰি বাপেকৰ স্বেচ্ছাচাৰিতাৰ প্রতিবাদ কৰিব লগা হৈছিল। যি কামৰাজ আজি মতাৰ খোৱা-কামোৰাত লাগি মোৰাৰজীৰ লগ লাগিছে, সেই কামৰাজে মোৰাৰজীৰ স্বেচ্ছাচাৰী আৰু একনায়কত্ববাদী মনোভাবৰ পৰিচয় পাই কেনেকৈ তেওঁক প্রধান মন্ত্রী হোৱাৰ পৰা বাধা দি ৰখা যায় সেই চেষ্টাতেই তেওঁৰ কংগ্রেছ সভাপতিত্বৰ সৰহখিনি সময় ব্যয় কৰিছিল। কামৰাজে আজি নিজকে প্রকৃত সমাজবাদী বুলি পৰিচয় দিবলৈ প্রাণান্তিক প্রয়াস কৰিছে। কিন্তু জনা লোকে এই কথা জানে যে কামৰাজে তেওঁৰ কংগ্রেছ সভাপতিত্বৰ সর্বাধিক সময়খিনি ব্যয় কৰিছিল কংগ্রেছক সমাজবাদৰ পথলৈ আগবঢ়াই নিয়াত নহয়, তেওঁ সেই সময়খিনি ব্যয় কৰিছিল নিজৰ ৰাজনৈতিক সার্বভৌমত্বলৈ চকু ৰাখি মন্ত্ৰী ভঙা-পতা কৰাতহে। বস্তুতঃ কংগ্রেছৰ যোৱা পাঁচ বছৰৰ নাটক মোৰাৰজী দেশাইক সর্বোচ্চ ক্ষমতালৈ অহাৰ পৰা বাধা দিয়াৰ চেষ্টাৰ নাটক মাত্র, আৰু এই নাটকৰ প্রধান খলনায়ক হ'ল দ্রাবিড় দেশৰ কূটনীতি বিশাৰদ আধুনিক চানক্য শ্রীকামৰাজ। মনত ৰখা উচিত যে অধুনা কুখ্যাত চিণ্ডিকেটৰো প্রধান সৃষ্টিকর্তা এই কামৰাজেই।

মুঠতে চিণ্ডিকেট-পন্থী কংগ্রেছ প্রতিক্রিয়াৰ নামান্তৰ মাত্র। যিবোৰ মানুহে চিণ্ডিকেট-পন্থী কংগ্রেছক সমৰ্থন কৰাৰ পক্ষে ওকালতি কৰে, তেওঁলোকৰ ঘাই শ্লোগান বা ধ্বনি হ'ল 'দলীয় ঐক্য আৰু শৃংখলা। ঐক্য আৰু শৃংখলা কিহৰ কাৰণে? যোৱা বাইশ বছৰ ধৰি কংগ্রেছত ঐক্য আৰু শৃংখলাৰ কোনো সমস্যা নাছিল; এই বাইশ বছৰত কংগ্রেছে ভাৰতৰ দৰিদ্র জনতা আৰু অৱহেলিত অনুন্নত সম্প্রদায়বোৰৰ কাৰণে কি কাম কৰিলে? জনতাৰ স্বাৰ্থ আৰু আশা-আকাংক্ষাক ভৰিৰে মোহাৰি যি ঐক্য আৰু শৃংখলা বজাই ৰখা যায় তাৰ মূল্য কি? মনত ৰখা উচিত যে চিপাহীৰ দলৰ শৃংখলা আৰু এটা ৰাজনৈতিক দলৰ শৃংখলা একে বস্তু নহয়। চিপাহীয়ে একো প্রশ্ন নকৰে; ওপৰৱালাই যদি নির্দোষী জনতাৰ ওপৰতো গুলী কৰিবলৈ চিপাহীক হুকুম দিয়ে, চিপাহীয়ে শৃংখলাৰ নামত সেই হুকুম মানি চলিবলৈ বাধ্য। কিন্তু এটা ৰাজনৈতিক দল গঠিত হয় নিজৰ স্বপ্ন, কল্পনা আৰু আদর্শ থকা মানুহৰ দ্বাৰাহে। এই মানুহবোৰৰ শৃংখলা আৰু চিপাহীৰ শৃংখলা একে বস্তু নহয়। ৰাজনৈতিক দলৰ নেতাই যদি অন্যায় কৰে বা জনতাৰ স্বাৰ্থৰ বিপক্ষে যায়, তেন্তে বাকী সকলৰ একমাত্র কর্তব্য হ'ল নিজৰ বিবেকক অনুসৰণ কৰি তেনে নেতাৰ নেতৃত্বক অস্বীকাৰ কৰা বা বেলেগ দল গঠন কৰা। আব্রাহাম্ লিংকনে যেতিয়া নিগ্ৰো দাস সকলৰ মুক্তিৰ কাৰণে নিজৰ দেশবাসীসকলৰ বিৰুদ্ধেই গৃহ-যুদ্ধত লিপ্ত হৈছিল, তেতিয়া ঐক্য আৰু শৃংখলাতকৈ তেওঁৰ কাৰণে ডাঙৰ হৈ দেখা দিছিল ন্যায় বিচাৰ আৰু মানৱতা। প্রত্যেক ব্যক্তি বা জাতিৰ জীৱনতেই এনে এটা moment of choice বা নির্বাচনৰ মুহূৰ্ত আহিব পাৰে।

আজি বহুতো কংগ্রেছী লোকৰ সন্মুখতো সেই প্রশ্ন আহি পৰিছে: বোম্বাই নে আহমেদাবাদ? আমি তেওঁলোকক বোম্বাইলৈ যাবলৈ পৰামৰ্শ দিওঁ। কাৰণ ই অপেক্ষাকৃতভাৱে প্রগতিৰ পথ, পৰিবৰ্তনৰ পথ, ভৱিষ্যতৰ পথ। যিসকলে হেমলেটৰ দৰে to be or not to be কৰি উভয় সঙ্কটত দোলায়মান হৈ আছে, তেওঁলোকক আঁদ্রে জিদৰ এষাৰ কথা মনত পেলাই দিব খোজোঁ :— It is hard to imagine a Hamlet harassed by the need to earn his living. The to be or not to be is fruit of leisure. — এনে আলস্যৰ বিলাস কৰিবলৈ তেওঁলোকৰ সময় থাকিব পাৰে, কিন্তু পেটৰ পোৰণিত চেঙালুটি পৰা ভাৰতবৰ্ষৰ দৰিদ্র জনতাৰ সিমানখিনি সময় নাই।

উদ্যোগ-বিভাগৰ প্ৰবঞ্চনা

কিছুদিনৰ আগতে আমি আমাৰ কাকতত উদ্যোগ-বিভাগৰ নানা ত্ৰুটি-বিচ্যুতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছিলোঁ। তাৰ পৰা কিছু ফল হোৱা বুলি আমাৰ মনত ধাৰণা হৈছিল। মন্ত্ৰীৰ পৰা বিষয়ালৈকে সকলোকে আগতকৈ কিছু কৰ্ম-তৎপৰ হৈ উঠা আমি দেখিবলৈ পাইছিলোঁ। কিন্তু এতিয়া নতুনকৈ কিছু খা-খবৰ লৈ আমি জানিব পাৰিছোঁ যে সেইবোৰ আছিল ৰাইজক প্ৰতাৰণা কৰিবৰ কৌশলহে মাত্ৰ; আচলতে উদ্যোগ-বিভাগৰ দৃষ্টিভঙ্গী বা কৰ্ম-পদ্ধতিৰ একো মৌলিক পৰিবৰ্তন হোৱা নাই।

ৰাইজৰ বোধহয় মনত আছে যে কেইমাহমানৰ আগতে উদ্যোগ-বিভাগৰ অধিকৰ্তাই এখন জাননী যোগে কেইটামান বিশেষ উদ্যোগৰ কথা প্ৰচাৰ কৰিছিল। জাননীখনত এনে এটা আভাস দিয়া হৈছিল যে অসমত সেই কেইটা উদ্যোগ স্থাপন কৰাৰ সুবিধা আছে, আৰু উদ্যোগ-বিভাগৰ তৰফৰ পৰা সেই উদ্যোগবোৰ স্থাপনৰ কাৰণে প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হ'ব। অলপতে কেইজনমান অসমীয়া ডেকাই উদ্যোগ স্থাপন সম্পৰ্কীয় কেতবোৰ খা-খবৰ লবৰ মনেৰে চিলঙলৈ গৈছিল। চিলঙৰ উদ্যোগ-বিভাগৰ অফিচত তেওঁলোকৰ যিখিনি অভিজ্ঞতা হ'ল সেই কথা সকলো ৰাইজে জনা উচিত। অসমক উদ্যোগীকৰণৰ পথত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই বিভাগে প্ৰকৃততে কি ভূমিকা পালন কৰিছে— তেতিয়াহে ৰাইজে জানিব পাৰিব। উদ্যোগ বিভাগতে কিছুদিনৰ আগতে এজন কেমিকেল্ ইঞ্জিনীয়াৰক উপদেষ্টা হিচাবে নিয়োগ কৰিছে। প্ৰস্তাৱিত পেট্ৰ-কেমিকেল শিল্প-চক্ৰক কেন্দ্ৰ কৰি অসমত অদূৰ ভৱিষ্যতত কেতবোৰ ৰাসায়নিক শিল্প গঢ়ি উঠিব পাৰে— এই কথা ভাবিয়েই নিশ্চয় তেওঁক আগতীয়াকৈ নিয়োগ কৰা হৈছে। উপৰোক্ত ডেকাকেইজন প্ৰথমে এই কেমিকেল ইঞ্জিনীয়াৰজনৰ ওচৰলৈ গ'ল। তেওঁলোকৰ হাতত আছিল প্ৰায় ৬ লাখ টকা মূলধনৰ 'পেষ্টিচাইড' তৈয়াৰ কৰা উদ্যোগ এটাৰ আঁচনি। কিন্তু উদ্যোগ-বিভাগৰ কেমিকেল্ ইঞ্জিনীয়াৰজনে সেই আঁচনিখনৰ নাম শুনিয়েই ক'লে যে তেওঁ সৰু সৰু উদ্যোগৰ বিষয়ে একো ক'ব নোৱাৰে, ডাঙৰ ডাঙৰ ৰাসায়নিক উদ্যোগৰ বিষয়ে পৰামৰ্শ দিবলৈহে তেওঁক ৰখা হৈছে। আমাৰ ডেকাকেইজনৰ মনত প্ৰশ্ন হৈছিল ঃ ৬ লাখ টকাতকৈ বেছি মূলধনৰ উদ্যোগ কৰিবলৈ কেইজন থলুৱা লোকৰ সামৰ্থ্য আছে বা কেইজনে তাৰ কাৰণে আগবাঢ়ি আহে? তাৰ অৰ্থ এয়েই নেকি যে বাহিৰৰ পৰা অহা বৃহৎ শিল্পপতিসকলক দিহা-বুদ্ধি দি সহায় কৰিবৰ কাৰণেহে অসম চৰকাৰে আপোনাক শকত দৰমহা দি ৰাখি থৈছে। যিহওক মুখেৰে একো উচ্চ-বাচ্য নকৰি মনৰ কথা মনতে থৈ তেওঁলোক উদ্যোগ বিভাগৰ অন্যান্য যুটিয়া-সঞ্চালক, উপ-সঞ্চালক আদিৰ ওচৰলৈ গ'ল। (উদ্যোগ-বিভাগত বিভিন্ন ধৰণৰ সঞ্চালকৰ অন্ত নাই, একমাত্ৰ ফাইল সঞ্চালন কৰাৰ বাহিৰে তেওঁলোকে আন কি কাম কৰে— সেইটো আজিও আমাৰ কাৰণে ৰহস্য হৈয়েই আছে)। অসমত কি ধৰণৰ উদ্যোগ স্থাপন কৰিলে লাভজনক হ'ব পাৰে বা ৫/৬ লাখ টকাৰে কি কি উদ্যোগ স্থাপন কৰিব পাৰি— সেই বিষয়ে ডেকাকেইজনে উদ্যোগ-বিভাগৰ বিষয়াসকলক প্ৰশ্ন কৰিলে। বিষয়া কেইজনে অতি উদাসীনভাৱে উত্তৰ দিলে যে সেই বিষয়ে তেওঁলোকে একো ক'ব নোৱাৰে। তেতিয়া আমাৰ ডেকাকেইজনে প্ৰশ্ন কৰিলে— 'কেইমাহমানৰ আগতে বাতৰি কাকতত আপোনালোকে কেইটামান উদ্যোগৰ এখন তালিকা প্ৰকাশ কৰাৰ কথা মনত পৰে। আপোনালোকে নিশ্চয়,

বহুত পৰীক্ষা কৰিহে সেইকেইটা উদ্যোগ অসমত লাভজনকভাৱে স্থাপন কৰা সম্ভৱ বুলি মত প্ৰকাশ কৰিছিল। এতিয়া তাৰে যি কোনো এটা উদ্যোগ স্থাপন কৰিবলৈ আপোনালোকে আমাক সহায় কৰিব নোৱাৰে নেকি।' বিষয়াকেইজনে একে আষাৰে উত্তৰ দিলে যে সেইবোৰ জাননী কাগজত দিব লাগে কাৰণেই দিয়া হৈছিল, আচলতে উদ্যোগ-বিভাগে প্ৰচাৰ কৰা কোনো এখন আঁচনিয়েই কাৰ্য্যকৰী কৰা সম্ভৱ নহয়।

আমাৰ ডেকাকেইজন কেইমুহূৰ্তমানৰ কাৰণে হতবাক হৈ ৰ'ল। বিষয়াকেইজনৰ এই অবিশ্বাস্য উক্তিক তেওঁলোকে সত্যবাদিতাৰ চৰম নিদৰ্শন বুলি প্ৰশংসাই কৰিব, নে দায়িত্বহীনতাৰ চূড়ান্ত নিদৰ্শন বুলি নিন্দাই কৰিব- তেওঁলোকে ভাবি একো ঠিক কৰিব নোৱাৰিলে। যিহওক, উঠি অহাৰ আগতে তেওঁলোকে বিষয়াকেইজনক আৰু এটা প্ৰশ্ন কৰিলে— 'আমি অসমত পেষ্টিচাইড্ তৈয়াৰ কৰা এটা উদ্যোগ স্থাপন কৰিব খোজোঁ। তাৰ কাৰণে যিবোৰ কেঁচা মাল লাগিব সেইবোৰ আমি নিয়মমতে পাই থাকিম বুলি আপোনালোকে আশ্বাস দিব পাৰিবনে? দ্বিতীয়তে— অসমত পেষ্টিচাইডৰ চাহিদা কিমান, বৰ্তমান কিমান পেষ্টিচাইড্ ব্যৱহাৰ কৰা হয়, ভৱিষ্যতে কিমান চাহিদা বৃদ্ধি পাব পাৰে— এইবোৰ বিষয়ে কিবা তথ্য-পাতি আমাক দিব পাৰেনেকি? আন কথাত ক'বলৈ গ'লে— যিবোৰ উদ্যোগ স্থাপনৰ কাৰণে আপোনাসকলে মানুহক উচটাই থাকে, সেইবোৰৰ চাহিদা আৰু বজাৰৰ সম্ভাৱনা সম্পৰ্কে অধ্যয়ন কৰি প্ৰয়োজনীয় তথ্য-পাতি আপোনালোকে সংগ্ৰহ কৰি ৰাখিছেনে নাই? উত্তৰ পোৱা গ'ল যে নাই ৰখা। বস্তু তৈয়াৰ কৰিবলৈ মানুহক উচটাই থকাতেই উদ্যোগ-বিভাগৰ সকলো উদ্যম আৰু সময় খৰচ হৈ শেষ হৈ গৈছে, সেইবোৰ বস্তু বিক্ৰী হ'বনে নহয় সেই কথা চিন্তা কৰিবলৈ তেওঁলোকৰ এতিয়াও সময়েই হোৱা নাই।

পাঠকসকলে যেন এই বুলি নাভাবে যে মাত্ৰ দুজনমান ডেকা ল'ৰাৰ কথাৰ ওপৰতে নিৰ্ভৰ কৰি আমি উদ্যোগ-বিভাগৰ অকৰ্মণ্যতা আৰু দায়িত্বহীনতাৰ বিষয়ে ইমানখিনি কথা লিখিলোঁ। অসমত উদ্যোগ [illegible] কৰিবলৈ মন মেলা আৰু এই বিষয়ে দকৈ চিন্তা কৰা বহুতো লোকৰ লগত আমি ঘনিষ্ঠ সম্পৰ্ক [illegible] কৰি চলিছোঁ আৰু তেওঁলোকৰ পৰা বহুতো তথ্য-পাতি সংগ্ৰহ কৰিছোঁ। সকলোৰে মুখে মুখে একেটাই মাত্ৰ কথা যে উদ্যোগ স্থাপন কৰিবলৈ তেওঁলোকৰ ইচ্ছা আৰু মূলধন থাকিলেও উদ্যোগ-বিভাগৰ উৎসাহ আৰু সহায়ৰ অভাৱতেই তেওঁলোকে এই ক্ষেত্ৰত আগবাঢ়িবলৈ সাহ কৰিব পৰা নাই। অলপতে এজন উচ্চ শিক্ষিত কৃতী অসমীয়া ডেকা ব্যৱসায়ীয়ে ক'লে যে এটা মজলীয়া বিধৰ উদ্যোগ স্থাপন কৰিবলৈ বহুদিনৰ পৰাই তেওঁ মূলধন সংগ্ৰহ কৰিছে, কিন্তু এখন নিৰ্ভৰযোগ্য উপযুক্ত আঁচনিৰ অভাৱতেই তেওঁ কামত আগবাঢ়িব পৰা নাই। উদ্যোগ-বিভাগৰ অধিকৰ্তাজন বোলে তেওঁৰ ব্যক্তিগত বন্ধু। সেই বন্ধুক বন্ধুৰ কোৱা সত্বেও আজিলৈকে তেওঁ বন্ধুত্ব লাভজনক উদ্যোগ স্থাপনৰ কাৰণে এখন ভাল আঁচনি দি সহায় কৰিব পৰা নাই। উদ্যোগ-বিভাগৰ যি অধিকৰ্তাই নিজৰ ঘনিষ্ঠ বন্ধুকে উদ্যোগ স্থাপনৰ পৰামৰ্শ দি সহায় কৰিব নোৱাৰে, তেওঁ আৰু ঘটিৰাম-বাতিৰামক কি সহায় কৰিব?

খুব সম্ভৱ, উদ্যোগ-বিভাগে আমাৰ এই উক্তিৰ প্ৰতিবাদ কৰিবলৈ চেষ্টা কৰিব। কিন্তু হাজাৰখন প্ৰতিবাদ চিঠিতকৈ তেওঁলোকে মাত্ৰ এখন বিশদ ঔদ্যোগিক আঁচনি যদি আমাৰ কাকতত প্ৰকাশ কৰে— আঁচনি সফলভাৱে কাৰ্য্যকৰী কৰি মাত্ৰ এজন অসমীয়া ডেকাও উদ্যোগপতি হ'ব পাৰে— তেতিয়া হ'লেই তেওঁলোকৰ নাম-যশ বৃদ্ধি পাব আৰু ৰাইজেও তেওঁলোকক বিশ্বাস কৰিব।

আমি একে আষাৰে ক'ব খোজোঁ যে অসম চৰকাৰৰ উদ্যোগ-বিভাগে কিছুমান ফোপোলা বক্তৃতা আৰু পেলনীয়া কাকতৰ খৰাহীত ঠাই দিবলগীয়া প্ৰচাৰ পুস্তিকাৰ বাহিৰে অসমৰ ঔদ্যোগীকৰণৰ কাৰণে আন বিশেষ একোৱেই কৰা নাই। যদি তেওঁলোকে কিবা কৰিছোঁ বুলি ক'ব খোজে, তেন্তে সেইটো প্ৰমাণ কৰিবলৈ আমি তেওঁলোকক প্ৰত্যাহ্বান জনালোঁ। 'কোনোবা ক্ষেত্ৰত যে কিবা ধাৰাবাহিক উন্নতি হৈছে সেইটো প্ৰমাণ কৰিবলৈ দুটা বস্তুৰ দৰকাৰঃ প্ৰকৃততে কি কি ঘটিছে বা কি কি কাম কৰা হৈছে সেই সম্পৰ্কীয় তথ্য-পাতি আৰু তুলনামূলক বিচাৰৰ মাপ-কাঠী (কে বি. স্মেলি)। যোৱা ১৫ বছৰত উদ্যোগ বিভাগে অসমৰ ঔদ্যোগীকৰণৰ কাৰণে কি কি কাম কৰিছে আৰু তাৰ ফলত (১) কেইজন থলুৱা উদ্যোগপতিৰ সৃষ্টি হৈছে (২) কিমান থলুৱা নিবনুৱাৰ কৰ্মসংস্থান হৈছে আৰু (৩) সামগ্ৰিকভাৱে অসমৰ কিমান আৰ্থিক লাভ হৈছে তাৰ এটা বিতং খটিয়ান আমাৰ কাকততেই দাঙি ধৰিবলৈ আমি উদ্যোগ-বিভাগৰ কৰ্মকৰ্তাসকলক আহ্বান কৰিলোঁ। সেই খটিয়ান দেখি যদি আসমৰ ৰাইজ সন্তুষ্ট হয়— তেন্তে আমি আমাৰ অভিযোগ তুলি ল'ম।

অসম সাহিত্য সভা

অসম সাহিত্য সভা অসমীয়া মানুহৰ এটা বছৰেকীয়া জাতীয় উৎসৱত পৰিণত হৈছে। সেই উৎসৱ আকৌ আহি পালেহি। অহা ১৩ তাৰিখৰ পৰা নগাঁও জিলাৰ ধিঙত তিনি দিনীয়াকৈ অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিৱেশন অনুষ্ঠিত হ'ব। সম্প্ৰতি আমাৰ দেশত মানুহৰ সামাজিক মিলনৰ ক্ষেত্ৰ দিনে দিনে সঙ্কুচিত হৈ এতিয়া প্ৰায় নোহোবাৰ দৰেই হৈছেগৈ। মানুহ বৰ নিসঙ্গ, বিচ্ছিন্ন আৰু কামৰ দাস হৈ পৰিছে। পুৰণি যিবোৰ উৎসৱ আৰু অনুষ্ঠানে মানুহক আনন্দময় সামাজিক মিলনৰ সুবিধা দিছিল, সেইবোৰ মৰি নোহোৱা হৈছে। সেইবোৰৰ ঠাইত নতুন বিশেষ একো সৃষ্টি হোৱা নাই। যি দুই-এটা হৈছে সেইবোৰৰ ভিতৰত অসমত অসম সাহিত্য সভাৰ নামেই সৰ্বাগ্ৰগণ্য। সাহিত্যৰ উন্নতি বা প্ৰসাৰৰ কাৰণে বিশেষ কিবা কৰিব পাৰক নোৱাৰক, এই সভাৰ বছেৰেকীয়া অধিৱেশনে [illegible] এটা আনন্দময় উৎসৱৰ পৰিৱেশত বহুতো মানুহক একেলগে মিলিত হ'বলৈ সুবিধা দি আৰু তেওঁলোকৰ মনত কেতবোৰ সুস্থ আবেগৰ সঞ্চাৰ কৰি সমাজৰ ওপৰত এটা স্বাস্থ্যকৰ প্ৰভাৱ পেলাই বুলি আমি ভাবোঁ। সেই কাৰণে যিসকল লোকে সাহিত্য সভাৰ অধিৱেশনৰ পৰা সকলো ভোজ-ভাত আৰু আড়ম্বৰ বাদ দি ইয়াক কেৱল 'বিজ্‌নেছ-লাইক' কৰাৰ কথা কয়, তেওঁলোকৰ লগত আমি সম্পূৰ্ণ একমত নহয়। এনেকৈ কোৱা মানুহ যে কেৱল আজিকালিৰ ডেকা বুদ্ধিজীৱীসকলৰ মাজতহে ওলাইছে এনে নহয়; সাহিত্য সভাৰ শৈশৱাৱস্থাৰ পৰাই বহুতো মানুহে এনে পৰামৰ্শ দি আহিছে। আমাৰ এই সংখ্যা কাকতত প্ৰকাশ হোৱা আঢ়ৈ কুৰি বছৰৰ আগৰ এখন [illegible] তাৰ প্ৰমাণ। এওঁলোকৰ যুক্তিৰ সাৰৱত্তা সম্পূৰ্ণ অস্বীকাৰ নকৰিও আমি ক'ব খোজোঁ যে সাহিত্য [illegible] বৰ্তমানৰ উৎসৱ বা মেলাৰ ৰূপ লোৱাত অসমীয়া জাতিৰ কাৰণে লাভৰ বাহিৰে লোকচান হোৱা নাই। পুৰণি কালত এই মেলাবোৰেই দূৰ-দূৰান্তৰৰ মানুহক মিলিত হ'বলৈ আৰু ভাব-বিনিময় কৰিবলৈ সুবিধা দি সামাজিক আৰু সাংস্কৃতিক ঐক্যানুভূতি সুদৃঢ় কৰিছিল। তীৰ্থস্থানবোৰেও কিমান মানুহৰ স্বাৰ্গ-প্ৰাপ্তি বা নিৰ্বাণ-প্ৰাপ্তি ঘটাইছে তাৰ হিচাব কোৱা টান, কিন্তু বিভিন্ন বিচিত্ৰ মানুহৰ মিলন-ভূমি হিচাবে সেইবোৰৰ মূল্য আজিও নোহোৱা হৈ যোৱা নাই। আজিকালিৰ দিনত সমাজত বিভেদ আৰু অনৈক্য সৃষ্টি কৰা শক্তি বা অনুষ্ঠানেই বেছি; সেইবোৰৰ ভিতৰত প্ৰথমতেই হ'ল ক্ষমতাৰ ৰাজনীতিৰ স্থান। মানুহৰ কল্যাণ-চিন্তাৰ লগত নিঃসম্পৰ্কিত আৰু ব্যক্তি-স্বাৰ্থ-কেন্দ্ৰিক এই ক্ষমতাৰ ৰাজনীতিয়ে সমাজত এটা বিষাক্ত পৰিৱেশৰ সৃষ্টি কৰিছে। অথচ বৰ্তমানৰ সমাজত ৰাজনীতি এনে সৰ্বব্যাপী যে তাক পৰিহাৰ কৰি চলা বা তাৰ কু-প্ৰভাৱৰ পৰা মুক্ত হৈ থকা টানেই হৈ পৰে। সি যি কি নহওক, যি সময়ত সকলো শক্তি বা অনুষ্ঠানেই মানুহক ফাল-ফালহে কৰিবলৈ বিচাৰে, সেই সময়ত মানুহক নিঃস্বাৰ্থ আৰু নিৰ্মল অন্তৰেৰে মিলিত হ'বলৈ সুবিধা দিয়া যি কোনো অনুষ্ঠানেই আমাৰ পক্ষে কল্যাণ-কৰ বুলি আমি ভাবোঁ। অসম সাহিত্য সভা তেনে এটা অনুষ্ঠান।

কিন্তু কিছুদিনৰ পৰা কিছুমান অদূৰদৰ্শী মানুহে সাহিত্য সভাতো ৰাজনীতি সুমুৱাবলৈ চেষ্টা কৰিছে। 'সৰ্বঘটে বিৰাজমান' মন্ত্ৰীক সাহিত্য সভাৰ বৰ চ'ৰাত বৰ-পীৰা পাৰি বহুৱাবলৈ চেষ্টা কৰাৰ ফলতেই এনে হৈছে বুলি বহুতে সন্দেহ কৰে। সংসাৰত প্ৰত্যেক মানুহৰে নিজস্ব কৰ্ম-ক্ষেত্ৰ বা সন্মানৰ ক্ষেত্ৰ থাকে। এনেকুৱা 'সব্যসাচী' খুব কমহে ওলায়— যিসকলে বিভিন্ন ক্ষেত্ৰত স্বাধিকাৰ প্ৰতিষ্ঠা কৰাৰ যোগ্যতা অৰ্জন কৰে। মন্ত্ৰীসকলৰ ভিতৰত কোনোৱা যদি সাহিত্যিক হিচাবেই সাহিত্য সভাত স্বাগতম পাবৰ যোগ্য হয়—

তেতিয়া আপত্তি কৰিবলগীয়া একো কথা নাথাকে। কিন্তু শাসন-ক্ষমতা বা ৰাজনৈতিক ক্ষমতাৰ জোৰত কোনোবাই যদি সাহিত্য সভাতো বৰ-পীৰা বিচাৰি যায়, বা অভ্যৰ্থনা সমিতিৰ সভাপতিকে আদি কৰি দায়িত্বপূৰ্ণ পদলৈ মন মেলে— তেন্তে তেনে মন্ত্ৰীক নিৰুৎসাহিত কৰাৰ প্ৰয়োজন আছে। মনত ৰখা উচিত যে মন্ত্ৰীসকল সদায় ক্ষমতাৰ ৰাজনীতি আৰু কন্দলৰ লগত ওতঃপ্ৰোতভাৱে জড়িত; তেনে মানুহক সাহিত্য সভাত নেতাৰ পদ দি সুমুৱালে সাহিত্য সভাতো পাৰস্পৰিক ঈৰ্ষা আৰু দলাদলিৰ মনোভাৱ কোনোবা অদৃশ্য ছিদ্ৰপথেদি প্ৰৱেশ কৰা অসম্ভৱ নহয়। ক্ষমতাৰ ৰাজনীতিয়ে এফালৰ পৰা সমাজৰ বহুতো অনুষ্ঠান বিষাক্ত কৰি আনিছে; অসমীয়া জাতিৰ সাৰ্বজাতিক মিলন-তীৰ্থ সাহিত্য সভাখন তাৰ পৰা মুক্ত হৈ থাকক— ইয়াকে আমি কামনা কৰোঁ।

লিখক বা অন্যান্য বুদ্ধিজীৱীসকলৰ কিছু আত্ম-সন্মান থকা উচিত। ক্ষমতাবানৰ নেজত ধৰি নোলমিলে যি সাহিত্যিকে বা যি সাহিত্যিক অনুষ্ঠানে সমাজত 'পাত্তা' নাপায়, তেনেকুৱা সাহিত্যিক বা অনুষ্ঠান থকাতকৈ নথকাই ভাল। ভৰতবৰ্ষ এনে এখন দেশ— য'ত ৰাজনীতিৰ বাহিৰে আন একো কথা নাই। অখণ্ড ইয়াৰ প্ৰতাপ, সৰ্বগ্ৰাসী ইয়াৰ প্ৰভাৱ। এই দেশত এজন অশিক্ষিত মন্ত্ৰীৰ তুলনাতো কবি, বিজ্ঞানী, শিল্পী আৰু শিক্ষক একেবাৰে নগণ্য। ক্ষমতাৰ যহত মন্ত্ৰী বা ৰাজনীতিবিদ য'লৈকে যায় তাতেই পূজা পায়, কিন্তু এই বিকৃত মূল্যবোধৰ সমাজত কবি আৰু শিল্পীসকল সৰ্বত্ৰ উপেক্ষিত আৰু অপাংক্তেয়। এনে অৱস্থাতো যেতিয়া দেখোঁ যে সাহিত্য সভাৰ অধিৱেশন মুকলি কৰিবলৈ ৰাজ্যপাল বা মন্ত্ৰী নহ'লেই নহয়, যেতিয়া দেখোঁ যে সাহিত্য-সাধনাত জীৱন পাত কৰি বিনিময়ত অনাহাৰ আৰু লাঞ্ছনা ভুঞ্জা সাহিত্যিকে ধান খেৰৰ দমত লেটি লৈ বহি থাকে, আৰু গোটেইটো সুসজ্জিত মঞ্চ দখল কৰি বহি থাকে অসম সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকৰ নাম নজনা মন্ত্ৰী মহোদয়সকলে, তেতিয়া সঁচাকৈয়ে সাহিত্য সভাৰ ভৱিষ্যৎ সম্পৰ্কে আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে মনত গভীৰ সংশয় জাগে। সাহিত্য সভাতেই যদি সাহিত্যিক আৰু শিক্ষক আৰু অন্যান্য চিন্তাব্ৰতীয়ে তেওঁলোকৰ প্ৰাপ্য সন্মানখিনি নাপায়, তেন্তে আজিৰ ভাৰতীয় সমাজ-ব্যৱস্থাত তেওঁলোকৰ কাৰণে আৰু ক'ত ঠাই আছে? ৰাষ্ট্ৰীয় ক্ষমতাৰ ওচৰত নতজানু হোৱা আৰু আত্মসন্মানহীন সাহিত্যিকৰ পৰা সমাজৰ কোনো কল্যাণ হ'ব নোৱাৰে।

সাহিত্য সভাৰ পুঁজি সামান্য পৰিমাণে হ'লেও টনকীয়াল কৰিবলৈ সামৰণিত আমি এটা পৰামৰ্শ দিব খোজোঁ। যি ঠাইত অধিৱেশন মতা হয় সেই ঠাইৰ অভ্যৰ্থনা সমিতিয়ে বহু হাজাৰ টকা সংগ্ৰহ কৰে। ভৱিষ্যতে এনে এটা চৰ্ত আৰোপ কৰা উচিত যে যিখন ঠায়ে সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন নিমন্ত্ৰণ কৰে— তেওঁলোকে অধিৱেশনৰ কাৰণে সংগৃহীত ধনৰ পৰা কম পক্ষেও পাঁচ হাজাৰ টকা বচাই সেইখিনি মূল সভাৰ পুঁজিত জমা দিব লাগিব। সেইখিনি টকাৰে কেইজনমান কৰ্মচাৰীৰ বেতনখিনি অন্ততঃ দি থাকিব পৰা হ'ব।

আমি সাহিত্য সভাখন সকলো প্ৰকাৰে শক্তিশালী হোৱাটো বিচাৰোঁ। যোৱা বছৰটোত সাহিত্য সভাখন কিছু নিৰ্জীৱ হৈ পৰা যেন অনুভৱ হয়। ধনৰ অভাৱেই তাৰ ঘাই কাৰণ। সাহিত্য সভাৰ আৰ্থিক সম্বল কম; যি যৎসামান্য আছিল— তাকো সু-পৰিকল্পিতভাৱে খৰচ কৰা হোৱা নাই। দুখীয়া ৰাইজে ধন দিবলৈ এনেয়েই টান পায়; যিখিনি দিয়ে তাৰো অপ-ব্যৱহাৰ দেখিলে তেওঁলোকে মনত কষ্ট পায়। অসম চৰকাৰেও সাহিত্য সভাৰ প্ৰতি যথোচিত সুবিচাৰ কৰা নাই। বোম্বাই মাৰ্কা নিম্ন-ৰুচিৰ হিন্দী চিনেমাক লাখ লাখ টকাৰ আমোদ-কৰ ৰেহাই দি অসমৰ মানুহক দেশ-প্ৰেমৰ শিক্ষা দিবলৈ যি অসম চৰকাৰ দৰাজ্-দিল আৰু মুক্ত-হস্ত, সেই চৰকাৰৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি হাতেদি পানী নসৰকা আচৰণ দেখিলে মনবোৰ স্বাভাৱিকতে বিদ্ৰোহী হৈ উঠে।

ৰাজনৈতিক দুৰ্নীতিৰ বিচাৰ

'আটাইতকৈ আচৰিত কথা কি?'— বকৰূপী ধৰ্মৰ এই প্ৰশ্নৰ উত্তৰত যুধিষ্ঠিৰে উত্তৰ দিছিল— 'এদিন মৃত্যু নিশ্চিত বুলি জানিও মানুহে সংসাৰত এনেভাৱে চলে— যেন তেওঁ এই সংসাৰতেই চিৰকাল জীৱনটো উপভোগ কৰি থাকিবলৈ পাব। কিমাশ্চৰ্য্যম্ অতঃপৰম্— ইয়াতকৈ আচৰিত কথা আৰু কি আছে?'

স্বাধীন ভাৰতৰ কংগ্ৰেছী মন্ত্ৰীসকলৰ বিষয়েও এই একে কথাকে ক'ব পাৰি। কংগ্ৰেছৰ অখণ্ড একাধিপত্য চলা প্ৰথম কুৰি বছৰ মানৰ ভিতৰত এই মন্ত্ৰীসকলৰ বহুতেই ৰাজনৈতিক ক্ষমতাৰ অপব্যৱহাৰ কৰি নিজৰ আৰু ইষ্ট-কুটুম্বৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ এনেভাৱে উঠি-পৰি লাগি গৈছিল যে এদিন কংগ্ৰেছী ৰাজত্বৰ অৱসান ঘটিব পাৰে বুলি তেওঁলোকে সমূলি পাহৰিয়েই গৈছিল। তেওঁলোকে এই কথা স্বতঃসিদ্ধ বুলিয়েই ধৰি লৈছিল যে কংগ্ৰেছী শাসন চিৰকাল চলি থাকিব, আৰু তেওঁলোকৰ কু-কৰ্মৰ বিচাৰ কৰোঁতাও কোনো নোলাব। তেওঁলোকৰ এনে মনোভাৱক উদগনি দিবলৈ যথেষ্ট কাৰণো ঘটিছিল। প্ৰথমতে ৰক্ষকেই ভক্ষক হৈ পৰাৰ কাৰণে তেওঁলোকৰ জবাবদিহি কৰোঁতা কোনো নাছিল। কেতিয়াবা কাৰোবাৰ বিৰুদ্ধে দুৰ্নীতিৰ কিবা অভিযোগ উঠিলেও দলীয় স্বাৰ্থৰ খাতিৰত সেইবোৰক আওকাণ কৰা হৈছিল, অথবা সেইবোৰ পুতি পেলাবলৈ চেষ্টা কৰা হৈছিল। দ্বিতীয়তে, সুদীৰ্ঘ কাল ধৰি ভাৰতৰ প্ৰধানমন্ত্ৰী হৈ থকা জৱাহৰলাল নেহৰু নিজে ব্যক্তিগতভাৱে লোভী বা দুৰ্নীতিপৰায়ণ নাছিল যদিও তেওঁ জানি-শুনি বহুতো দুৰ্নীতিপৰায়ণ লোকক প্ৰশ্ৰয় দিছিল। পঞ্জাবৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী প্ৰতাপ সিং কাইৰোঁক ন্যায়িক তদন্ত আৰু তাৰ অৱধাৰিত পৰিণামৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ কেনেভাৱে যুঁজ কৰিছিল— সেই কথা আজি সমসাময়িক ইতিহাসৰ এটা কলঙ্কিত অধ্যায়ত পৰিণত হৈছে। সকলো মিলি ভাৰতবৰ্ষত এনে এটা মানসিক বাতাৱৰণৰ সৃষ্টি হৈছিল যে ৰাজনৈতিক আৰু প্ৰশাসনিক দুৰ্নীতিক মানুহে সামাজিক জীৱনৰ এটা স্বাভাৱিক অৱস্থা বুলিয়েই গণ্য কৰিবলৈ আৰম্ভ কৰিছিল। অৱস্থাটো হৈ পৰিছিল ইংৰাজসকলৰ বতৰৰ বিষয়ে কৰা পৰিহাসোক্তিৰ দৰে : 'সকলোৱেই বতৰৰ বিষয়ে আপত্তি কৰে, কিন্তু কামত কোনেও একো নকৰে।' এনে এটা অৱস্থাৰ সুযোগ লৈ বহুতো দুৰ্নীতিপৰায়ণ লোকে মন্ত্ৰী পদটোক নিজৰ আৰু অধস্তন চৈধ্য পুৰুষৰ কাৰণে ধন-সম্পত্তি ঘটি লোৱাৰ এটা প্ৰশস্ত উপায় হিচাবেহে ব্যৱহাৰ কৰিছিল।

১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনে অৱস্থাটোৰ কিছু সলনি কৰিলে। ভাৰতৰ বহুতো ৰাজ্যত অকংগ্ৰেছী চৰকাৰ গঠিত হ'ল। এনে দুই-এটা অকংগ্ৰেছী ৰাজ্য চৰকাৰে ভূতপূৰ্ব কংগ্ৰেছী মন্ত্ৰীসকলৰ বিৰুদ্ধে পুঞ্জীভূত দুৰ্নীতিৰ অভিযোগৰ তদন্ত কৰাৰ ব্যৱস্থা কৰিলে। এনে এটা তদন্তৰ ব্যৱস্থা কৰা হৈছিল বিহাৰৰ প্ৰাক্তন কংগ্ৰেছ মন্ত্ৰীসভাৰ বিৰুদ্ধে। এই তদন্ত কৰিবৰ কাৰণে বিচাৰপতি শ্ৰীটি. এল. বেঙ্কটৰাম আয়াৰক লৈ গঠিত এজনীয়া আয়োগৰ প্ৰতিবেদন অলপতে প্ৰকাশ পাইছে। এই প্ৰতিবেদনৰ পৰা দেখা যায় যে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীকৃষ্ণবল্লভ সহায় আৰু অন্যান্য পাঁচজন মন্ত্ৰী স্বজন-তোষণৰ পৰা আৰম্ভ কৰি ক্ষমতাৰ অপ-ব্যৱহাৰলৈকে বিভিন্ন অপৰাধত দোষী বুলি প্ৰমাণিত হৈছে। এওঁলোক আটাইকেইজনেই ১৯৪৬ চনৰ পৰা আৰম্ভ কৰি ১৯৬৭ চনলৈকে একাদিক্ৰমে কিবা নহয় কিবা এটা মন্ত্ৰীপদত অধিষ্ঠিত আছিল। এই সময়ছোৱাৰ ভিতৰত শাসন ক্ষমতাৰ অপ-ব্যৱহাৰ কৰি কেৱল তেওঁলোক নিজেইহে যে লাখপতি হৈছে এনে নহয়— তেওঁলোকৰ বহুতো আত্মীয়-স্বজনো ছাল-ছিগা ভিকহ অৱস্থাৰ পৰা ৰাতিটোৰ ভিতৰতে লাখপতিত পৰিণত হৈছে। তদন্তৰ ফলত এই অভিযোগ সঁচা বুলি প্ৰমাণিত হৈছে যে শ্ৰীকৃষ্ণবল্লভ সহায় বিহাৰৰ মুখ্যমন্ত্ৰী হৈ

থকাৰ সময়ত তেওঁ অন্যায়ভাবে নিজৰ পুতেকক কয়লাখনিৰ লীজ দিছিল; শ্ৰীমহেশ প্ৰসাদ সিংহই ঠিকাদাৰৰ পৰা ১,৭৫,০০০ টকা ভেটী হিচাবে লৈছিল; অন্যান্য কেইবাজনো মন্ত্ৰীৰ উপাৰ্জনৰ তুলনাত মুঠ সম্পত্তিৰ পৰিমাণ বাঢ়ি গৈছিল অভাৱনীয়ভাৱে।

এই চাঞ্চল্যকৰ প্ৰতিবেদনখনৰ ওপৰত ভিত্তি কৰি উপৰোক্ত মন্ত্ৰী কেইজনৰ বিৰুদ্ধে কি শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব— সেই কথা আমি এতিয়াও নাজানো। কিন্তু আন একো শাস্তি নাপালেও জনতাৰ দৰবাৰত পাব লগা আটাইতকৈ ডাঙৰ শাস্তিটো তেওঁলোকে ইতিমধ্যেই নিশ্চয় পাইছে। গান্ধীবাদী দেশসেৱকৰ ছদ্মবেশত তেওঁলোক যে প্ৰকৃততে কেইজনমান লোভী আৰু স্বাৰ্থান্বেষী মানুহ— সেই কথা এতিয়া ভালকৈয়ে প্ৰমাণিত হৈছে আৰু ফলত জনতাৰ নীৰব ঘৃণা তেওঁলোকৰ ওপৰত বৰ্ষিত হৈছে।

এইখিনিতে এটা কথা স্পষ্টভাৱে কোৱাৰ প্ৰয়োজন আছে। সেইটো হৈছে এই যে বিহাৰৰ যিমান দিন কংগ্ৰেছী শাসন চলি থাকিলহেঁতেন, সিমান দিনলৈকে এই নীচাশয় লোকসকলৰ স্বৰূপ উন্মোচিত কৰা কেতিয়াও সম্ভৱ নহ'লহেঁতেন। ভাৰতৰ কংগ্ৰেছী শাসনৰ ওপৰত ইয়াতকৈ অধিক ক্ষতিকাৰক মন্তব্য দিবলৈ দ্বিতীয় এটা নাই।

বিহাৰৰ এই ঘটনাই আমাক অসমতো কেতবোৰ কথা মনত পেলাই দিছে। কংগ্ৰেছী একাধিপত্যৰ দৌৰত ভাৰতৰ আন সকলো ৰাজ্যতে যেতিয়া ৰাজনৈতিক দুৰ্নীতি এটা ডাঙৰ ব্যৱসায়ত পৰিণত হৈছিল, সেই সময়ত কেৱল অসমৰহে সকলো মন্ত্ৰীয়েই নিষ্কাম নিৰ্লোভ মৌনী বাবা হৈ আছিল— সেই কথা নিশ্চয় সঁচা নহয়। ইয়াতো কোন মন্ত্ৰীয়ে কি অৱস্থাৰ পৰা এতিয়া কি অৱস্থা পাইছেগৈ, কোনে ক'ত মাটি লৈছে, ঘৰ কৰিছে, বেঙ্কত টকা থবলৈ ভয় কৰি বোম্বাইৰ জাভেৰী কোম্পানীত কোনে একে দিনৰ ভিতৰতে দুই লাখ টকাৰ হীৰা-জহৰৎ কিনিছে— এইবোৰ জনৰব মানুহৰ মুখে মুখে। কিন্তু বিলাতত বতৰৰ বিষয়ে সকলোৱে মুখে মুখে আপত্তি কৰি কামত একো নকৰাৰ দৰে ইয়াতো মানুহে মন্ত্ৰীৰ দুৰ্নীতিৰ বিষয়ে মুখে মুখে গল্পহে কৰে, কিন্তু কামত একো নকৰে। অৱশ্যে কৰিলেও যে কিবা লাভ হ'ব সেই কথা কোৱা টান। বিহাৰত মন্ত্ৰীক ঘোচখোৰ বুলি দোষী সাব্যস্ত কৰিবলৈ জনসাধাৰণে এটা অকংগ্ৰেছী চৰকাৰ নিৰ্বাচিত কৰিব লগা হৈছিল। অসমত সেই অৱস্থা এতিয়াও অহা নাই। কিন্তু চিৰকাল নহাঁকৈ থাকিবনে? এই কথা সকলোৱেই জানে যে অসমতো কোনো কোনো মন্ত্ৰীৰ বিৰুদ্ধে প্ৰশাসনিক শিথিলতা আৰু দুৰ্নীতিৰ অভিযোগ উঠিছিল আৰু প্ৰবল জনমতৰ হেঁচাত ন্যায়িক তদন্তও কৰা হৈছিল। অৱশ্যে আইনৰ যি ধাৰাত পেলাই যেনেভাৱে চৰকাৰে সেই তদন্ত কৰাব লাগিছিল তেনেভাৱে কৰা নহ'ল। কিন্তু যিখিনি কৰা হৈছিল তাৰ প্ৰতিবেদনো আজিলৈকে প্ৰকাশ কৰা নহ'ল। সেই তদন্তৰ ফলত এনেকুৱা কি তথ্য উদ্‌ঘাটিত হৈছিল— যিখিনি তথ্য প্ৰকাশ কৰিবলৈ চৰকাৰে সাহস নকৰিলে? সেই তথ্যখিনি প্ৰকাশ কৰাৰ পৰা কাৰ কাৰ কি অপকাৰ হ'লহেঁতেন? সেই তদন্তই যদি পৰোক্ষভাৱে হ'লেও কাৰোবাক দোষী সাব্যস্ত কৰিছিল, তেন্তে তেনে মানুহক ৰাজ্য পৰিচালনাৰ দায়িত্বপূৰ্ণ পদত ৰাখিবলৈ চৰকাৰৰ কিবা নৈতিক অধিকাৰ আছেনে? ৰাইজে এইবোৰ প্ৰশ্নৰ উত্তৰ আজিলৈকে পোৱা নাই। কিন্তু এদিন যে পাব লাগিবই বা পাবই— সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু অসমৰ কংগ্ৰেছ দলে যদি বিহাৰৰ ঘটনাৰ ইয়াতো পুনৰাবৃত্তি ঘটাই দুৰপনেয় কলঙ্কৰ ভাগী হ'ব নোখোজে, তেন্তে সময় থাকোঁতেই অভিযুক্ত মন্ত্ৰীসকলৰ বিৰুদ্ধে পাব্লিক এনকোৱাৰী এক্ট অনুসাৰে তদন্তৰ ব্যৱস্থা কৰা উচিত। চৰকাৰে সেইটো কৰিব নুখুজিলেও অভিযুক্ত মন্ত্ৰীসকলে নিজৰ নাম কলঙ্কমুক্ত কৰিবৰ কাৰণে নিজেই এনে এটা তদন্তৰ দাবী কৰা উচিত। তাকে নকৰিলে তেওঁলোকে আৰু এবছৰ বা দুবছৰ মন্ত্ৰী হৈ থাকিব হয়তো পাৰিব— কিন্তু তাৰ পিচত তেওঁলোকৰ স্বৰূপ যিভাৱে উন্মোচিত হৈ পৰিব, সি হ'ব অতিশয় অবমাননাকৰ আৰু যন্ত্ৰণাদায়ক। অথচ তাৰ পৰা তেওঁলোকৰ ৰক্ষা পৰিবৰ কোনো পথ আমি অন্ততঃ দেখা নাই।

অদ্ভুত যুক্তি

অসমৰ ৰাইজে অপৰিসীম উৎকণ্ঠা আৰু কৌতূহলেৰে ২৩ ফেব্ৰুৱাৰীৰ দিনটোলৈ বাট চাই আছিল। শাৰীৰিক অসুস্থতাৰ কাৰণে মুখ্যমন্ত্ৰী পদৰ পৰা অব্যাহতি বিচৰা শ্ৰীচলিহাৰ ঠাইত সেইদিনা এজন নতুন মুখ্যমন্ত্ৰী নিৰ্বাচিত হ'লহেঁতেন। স্বাভাৱিক অৱস্থাত মুখ্যমন্ত্ৰী নিৰ্বাচনৰ প্ৰশ্নটোৱে নিশ্চয় চাৰিওফালে ইমান উত্তেজনা আৰু কৌতূহলৰ সৃষ্টি নকৰিলেহেঁতেন। প্ৰতিদ্বন্দ্বিতাত জয়লাভ কৰাজনে মুখ্যমন্ত্ৰীৰ আসনখন দখল কৰিবলৈ পাই নিজৰ ৰাজনৈতিক জীৱনৰ চৰম মোক্ষ লাভ হোৱা বুলি ভাবি সন্তোষৰ হাঁহি মাৰিলেহেঁতেন, পৰাজিতজনৰ হতাশা আৰু মনোকষ্ট হ'লহেঁতেন একান্তই ব্যক্তিগত। কিন্তু সম্প্ৰতি অৱস্থাৰ এনেভাৱে সলনি হৈছে যে কোনো ৰাজনৈতিক জয়লাভেই এতিয়া চূড়ান্ত আৰু নিষ্কণ্টক নহয়, সেইদৰে কোনো পৰাজয়েই নহয় শেষ কথা। বিজেতাজনে কোন মুহূৰ্তৰ পৰা তেওঁৰ সমৰ্থক দলটোৰ গৰা-খহনীয়া হ'বলৈ আৰম্ভ কৰে সেই চিন্তাতে বিনিদ্ৰ ৰজনী যাপন কৰিব লগা হয়, পৰাজিতজনে পিচ মুহূৰ্তৰ পৰাই নতুনকৈ দল-বল পকাই পৰৱৰ্তী সুযোগৰ কাৰণে অপেক্ষা কৰে। সেই সুযোগ আহিবলৈকো হয়তো বেছি পৰ নালাগে। দেশত আদৰ্শবাদী মানুহ হয়তো এতিয়াও একেবাৰে নোহোৱা হৈ যোৱা নাই, কিন্তু লগতে এই কথাও সঁচা যে বেছিভাগ পলিটিচিয়ানেই মুখত ভাটো চৰাইৰ দৰে আদৰ্শৰ বুলি আওৰাই আচলতে যেনে-তেনে প্ৰকাৰে পদ-মৰ্যাদা আৰু ক্ষমতা দখল কৰিবৰ কাৰণে মৰণ-পণ সংগ্ৰামত অৱতীৰ্ণ হৈছে। এই সংগ্ৰামত তেওঁলোকে সকলো সত্য-নিষ্ঠা, শালীনতাবোধ আৰু নিম্নতম নৈতিক আচৰণখিনিও [illegible] দিছে। ৰাজনৈতিক ক্ষেত্ৰত দেশৰ নৈতিক মানদণ্ড আজি ইমান তললৈ নামি গৈছে যে মাত্ৰ বাই[illegible] আগতেও এই দেশত গান্ধীজী নামৰ এজন মানুহে 'সত্যই ভগবান'— এনে এটা আদৰ্শ প্ৰচাৰ কৰি[illegible] বুলি বিশ্বাস কৰাটো একেবাৰে অসম্ভৱ হৈ পৰিছে। মনুষ্যত্বৰ উৰ্ধ্বগামী বিকাশ ঘটোৱাটোৱেই হ'ল সকলো সামাজিক সংগ্ৰাম আৰু আদৰ্শৰ মূল উদ্দেশ্য। কিন্তু দেশত আজি যিসকল লোকে এই সংগ্ৰামৰ নেতৃত্ব বহন কৰিছে, এই আদৰ্শ প্ৰচাৰ কৰিছে— তেওঁলোকৰ লোভ, ভণ্ডামী আৰু মিথ্যাচাৰে চাৰিওফালে এক ব্যাপক অনাস্থা আৰু হতাশাৰ সৃষ্টি কৰিছে। ভাৰতবৰ্ষত আজি প্ৰকৃততে বিশ্বাস আৰু আদৰ্শৰ এক গভীৰ সঙ্কটে দেখা দিছে।

সি যি কি নহওক, ২৩ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী পদৰ কাৰণে হ'ব লগা নিৰ্বাচনত সম্প্ৰতি অনিৰ্দিষ্ট কালৰ কাৰণে স্থগিত ৰখা হৈছে। শ্ৰীচলিহাৰ স্বাস্থ্যৰ কিছু পৰিমাণে উন্নতি হৈছে আৰু অনিৰ্দিষ্ট কালৰ কাৰণে হ'লেও তেওঁ মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ বহন কৰিব পৰা হৈছে— ই নিশ্চয় এটা শুভ-সংবাদ। অসমৰ জনসাধাৰণে তেওঁৰ স্বাস্থ্যৰ কাৰণে বৰ উৎকণ্ঠিত হৈ আছিল, এতিয়া এই শুভ-সংবাদ শুনি তেওঁলোকে যথেষ্ট স্বস্তি লাভ কৰিব। সম্পূৰ্ণ আৰোগ্য লাভ কৰি তেওঁ যদি আৰু বহু বছৰৰ কাৰণে অসম তথা ভাৰতক নেতৃত্ব দিব পাৰে— তেন্তে সেইটো নিশ্চয় আৰু আনন্দৰ কথা হ'ব। কিন্তু এইখিনিতে এটা চিন্তা কৰিবলগীয়া কথা হৈছে। এজন কগ্ন মানুহ— আৰোগ্য লাভৰ কাৰণে যাৰ অখণ্ড আৰু সম্পূৰ্ণ বিশ্ৰামৰ প্ৰয়োজন, যিজনে স্বেচ্ছাই দায়িত্ব ভাৰ এৰি দি আনকো এটা সুযোগ দিব খোজে, তেনে এজন মানুহক অন্ততঃ কিছুদিনৰ কাৰণে হ'লেও অসম কংগ্ৰেছে কিয় অব্যাহতি দিব নোৱাৰিলে? দ্বিতীয় এনে এজন মানুহ কিয় নোলাল— যিজনে চলিহাৰ দৰেই অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত অসম কংগ্ৰেছক ঐক্যবদ্ধ কৰি ৰাখি আন একো নহ'লেও অন্ততঃ ৰাজনৈতিক স্থিতাৱস্থা আৰু

শৃংখলাখিনিকে তেওঁলোকৰ দলৰ স্বাৰ্থৰ খাটিৰত বজাই ৰাখিব পাৰে? ই এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন— কাৰণ ইয়াৰ উত্তৰৰ সন্ধানে অসমৰ একাংশ নেতাৰ ৰাজনৈতিক চৰিত্ৰ বহু পৰিমাণে উন্মোচিত কৰি দিব পাৰে। গতিকে ন্যস্ত স্বাৰ্থই আৰু কেতবোৰ নেতাই এই প্ৰশ্নটো ঢাকি ৰাখিবলৈ চেষ্টা কৰিলেও অসমৰ জনসাধাৰণে ৰাজনৈতিক উত্তেজনাৰ প্ৰভাৱত এই প্ৰশ্নটো পাহৰি থকা উচিত নহয়।

মুখ্যমন্ত্ৰীৰ পদৰ কাৰণে দুজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ কথাটো যিদিনাৰ পৰাই উঠিছে, সেই দিনাৰ পৰাই এটা বিশেষ মহলৰ পৰা এই ভাবুকি দি থকা হৈছে যে প্ৰতিদ্বন্দ্বিতা হ'লেই অসম কংগ্ৰেছত বিভাজনে দেখা দিব পাৰে। এতিয়া বোলে শাসক কংগ্ৰেছৰ কেন্দ্ৰীয় সংসদী বোৰ্ডেও এই সম্ভাব্য বিভাজনৰ আশঙ্কাতে মুখ্যমন্ত্ৰীৰ নিৰ্বাচন স্থগিত ৰাখিবলৈ সিদ্ধান্ত লৈছে। এই কথাষাৰ কিছু বিশদভাৱে বিশ্লেষণ কৰি চোৱা দৰকাৰ। যি কোনো ৰাজনৈতিক দলতে বিভাজন তেতিয়াই অনিবাৰ্য্য হৈ উঠে— যেতিয়া সেই দলৰ মাজত আদৰ্শগত মতবিৰোধে দেখা দিয়ে। এই আদৰ্শগত মতবিৰোধক কেন্দ্ৰ কৰিয়েই ভাৰতত কংগ্ৰেছ, কমিউনিষ্ট আৰু চচিয়েলিষ্ট আদি সকলো প্ৰধান দলেই আজি দুটা বা ততোধিক দলত বিভক্ত হৈ গৈছে। এনে বিভাজন স্বাভাৱিক আৰু যুক্তিসন্মত। অসমত কংগ্ৰেছ দল এতিয়াও আনুষ্ঠানিকভাৱে দ্বিধা-বিভক্ত হৈ যোৱা নাই। যি সকল লোকে মনে-চিতে চিণ্ডিকেট পক্ষকহে সমৰ্থন কৰে, তেওঁলোকেও এই ৰাজ্যত চিণ্ডিকেট কংগ্ৰেছ স্থাপন কৰি নিজৰ নৈতিক সাহস বা আদৰ্শবাদিতাৰ পৰিচয় দিবলৈ আগবাঢ়ি অহা নাই। মুখ্যমন্ত্ৰী পদৰ কাৰণে দুজন প্ৰাৰ্থীৰ ভিতৰত শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীয়ে নতুন কংগ্ৰেছৰ জন্ম লগ্নতেই সেই কংগ্ৰেছত যোগ দি নিজৰ ৰাজনৈতিক আদৰ্শ ঘোষণা কৰি থৈছে। আনজন প্ৰাৰ্থী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়েও অতি দেৰিকৈ হ'লেও নতুন কংগ্ৰেছৰ প্ৰতি নিজৰ আনুগত্য প্ৰকাশ কৰিছে। নতুন কংগ্ৰেছৰ অনুগামী আৰু মুখ্যমন্ত্ৰী হ'বলৈ বিচৰা দুয়োজন নেতাই আদৰ্শৰ ক্ষেত্ৰত একে পথৰ পথিক। ... তেনে অৱস্থাত মুখ্যমন্ত্ৰী পদৰ কাৰণে প্ৰতিদ্বন্দ্বিতা হ'লেই, বা সেই প্ৰতিদ্বন্দ্বিতাত কোনোবা এজন বিশেষ প্ৰাৰ্থী হাৰিলে বা জিকিলেই— অসম কংগ্ৰেছত বিভাজন হ'ব পাৰে কেনেকৈ? একে আদৰ্শ আৰু কাৰ্য্যপন্থা অনুসৰণ কৰা দুজন মানুহৰ মাজত প্ৰতিদ্বন্দ্বিতা হওঁতেও যদি দলৰ মাজত বিভাজন হ'বলৈ হয়, তেন্তে সেই বিভাজনে কি প্ৰমাণ কৰিব? উদাহৰণ স্বৰূপে ধৰি লোৱা যাওক যে মুখ্যমন্ত্ৰী পদৰ কাৰণে হোৱা প্ৰতিদ্বন্দ্বিতাত শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী পৰাজিত হ'ল; তাৰ ফলত দলৰ বিভাজন হ'বলৈ হ'লে শ্ৰীচৌধুৰী আৰু তেওঁৰ সমৰ্থকসকল শাসক কংগ্ৰেছৰ পৰা ওলাই আহি শ্ৰীভাগৱতীৰ বিৰুদ্ধে নতুনকৈ যুদ্ধত অৱতীৰ্ণ হ'ব লাগিব। কিন্তু এজন মানুহে মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হ'বৰ কাৰণেই এটা বিশেষ ৰাজনৈতিক আদৰ্শ আৰু কাৰ্য্যসূচীৰ প্ৰতি নিজৰ আনুগত্য ঘোষণা কৰি প্ৰতিদ্বন্দ্বিতাত পৰাজিত হোৱাৰ পিচ মুহূৰ্ততে যদি সেই আদৰ্শ ত্যাগ কৰে, তেন্তে জনসাধাৰণে তেওঁক কি নামেৰে অভিহিত কৰিব? যদি পৰাজিত হোৱাৰ পিচতো তেওঁ সেই দল আৰু সেই আদৰ্শ ত্যাগ নকৰে, তেন্তে দলত বিভাজন হ'ব পাৰে কেনেকৈ? এইখিনি কথা যদি ৰাইজে গভীৰভাৱে চিন্তা কৰি চায়, তেন্তে তেওঁলোকে দেখিব যে অসমৰ মুখ্যমন্ত্ৰী পদৰ কাৰণে প্ৰতিদ্বন্দ্বিতা হ'লেই দলত বিভাজনে দেখা দিব বুলি কোৱা কথাৰ একমাত্ৰ অৰ্থ এয়েই যে এই দুজন প্ৰাৰ্থীৰ ভিতৰত কোনোবা এজন নিশ্চয় আদৰ্শহীন, সুযোগ-সন্ধানী আৰু ৰাজনৈতিক কটকা-বাজীত সিদ্ধহস্ত। এনে এটা বিশেষণ আঁকোৱালি ল'বলৈ কোন আগবাঢ়ি আহে তাৰ প্ৰতি অসমৰ জনসাধাৰণে নিশ্চয় সতৰ্ক দৃষ্টি ৰাখিব।

ৰাজনীতিক কেন্দ্ৰ কৰি ভাৰতবৰ্ষত বহুতো Loose talk বা চুলুং কথাৰ অৱতাৰণা হৈছে; তাৰ এটা সীমাৰেখা টানিবৰ সময় হৈছে বুলি আমি ভাবোঁ।

অসমৰ ত্ৰাণ-কৰ্তা

অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব?— এই প্ৰশ্নটোক কেন্দ্ৰ কৰি অসমত উত্তেজনা, কৌতূহল আৰু জল্পনা-কল্পনাৰ অন্ত নাই। দেশৰ খবৰ ৰখা প্ৰতিজন মানুহৰে মুখে মুখে যোৱা প্ৰায় দুমাহ কাল ধৰি এই একেটাই মাত্ৰ আলোচনা। অলপতে এজন ভদ্ৰলোকৰ বুলনি-চ'ৰাত এনে এটা আলোচনাত উপস্থিত থকাৰ সৌভাগ্য হৈছিল। দুই প্ৰাৰ্থীৰ সমৰ্থক দুজন বন্ধুৱে অতি উত্তেজিত হৈ তৰ্ক কৰিছিল, আৰু নিজ নিজ প্ৰাৰ্থীৰ সমৰ্থনত নানা যুক্তি আৰু প্ৰমাণ দাঙি ধৰিবলৈ চেষ্টা কৰিছিল। বহুত পৰ তৰ্ক কৰি কৰি ক্লান্ত হৈ অৱশেষত এজন বন্ধুৱে টেবুলত ভুকু মাৰি চিঞৰি উঠিল: 'তোমাৰ কোনো যুক্তিয়ে মই শুনিব নুখুজোঁ। আন একো নহ'লেও অন্ততঃ কেৱল এটা কাৰণতেই শ্ৰীঅমুক অৰ্থাৎ মই সমৰ্থন কৰা প্ৰাৰ্থীজন মুখ্যমন্ত্ৰী হোৱা উচিত, কাৰণ তেওঁৰ হাতত অসমৰ স্বাৰ্থ নিৰাপদ। অসমীয়াৰ কাৰণে তেওঁৰ প্ৰাণে কান্দে আৰু নিজৰ মানুহৰ কাৰণে কিবা অলপ কৰিবলৈ তেওঁ অন্ততঃ চেষ্টা কৰে। কিন্তু তোমাৰ শ্ৰীঅমুক মুখ্যমন্ত্ৰী হ'লে দেখিবা— অসমত অসমীয়াৰ নিজৰ বুলিবলৈ আৰু একো নাথাকিব; সকলো ক্ষেত্ৰতে ইয়াত তেতিয়া বহিৰাগতৰ অবাধ ৰাজত্ব চলিব। এদিন হয়তো এনে এটা অৱস্থা আহিব যে অসমখন হয়তো ওচৰ-চুবুৰীয়া বিদেশী ৰাষ্ট্ৰৰ লগত চামিল হৈ যাবলৈ বাধ্য হ'ব। তেনে এটা অৱস্থা হোৱাটো তুমি বিচৰা নেকি?

স্বাৰ্থান্ধ আৰু দেশদ্ৰোহীৰ বাহিৰে এনে এটা অৱস্থা হোৱাটো নিশ্চয় আন কোনেও নিবিচাৰে [illegible]ত উল্লেখ কৰা দ্বিতীয় ভদ্ৰলোকজন মুখ্যমন্ত্ৰী হ'লে যদি অসমৰ তেনে এটা দুৰ্ভাগ্যই হোৱাৰ আ[illegible] তেন্তে যি কোনো উপায়েৰেই তেওঁক মুখ্যমন্ত্ৰীৰ অসনখনৰ পৰা হাজাৰ মাইল দূৰত ৰখাৰ প্ৰয়োজন আছে। অৱশ্যে অসমৰ মুখ্যমন্ত্ৰী কোন হোৱা উচিত সেই বিষয়ে আলোচনা কৰিবলৈ আজি আমি এই প্ৰসঙ্গৰ অৱতাৰণা কৰা নাই। একেটা কথাকে শুনি শুনি পাঠকসকলৰো নিশ্চয় আমনি লাগিছে। সম্পূৰ্ণ এটা বেলেগ কথাৰ প্ৰতিহে আমি আজি পাঠকসকলৰ মনোযোগ আকৰ্ষণ কৰিব খোজোঁ। যোৱা কিছুদিন ধৰি অসমত এনে এটা মনোভাৱ প্ৰবল হৈ উঠিছে যে অসমীয়া জাতিৰ সৰ্বপ্ৰকাৰ দুখ-দুৰ্ভাগ্যৰ কাৰণে থলুৱা স্বাৰ্থ-বিৰোধী দুৰ্বল অসম চৰকাৰেই যাইকে দায়ী। এই চৰকাৰক ভাঙি দি কেনেবাকৈ অসমীয়াবাদী আৰু অসমীয়া-প্ৰেমী চৰকাৰ এটা পাতি ল'ব পাৰিলেই অসমীয়া মানুহৰ সকলো সমস্যাৰ সমাধান হৈ যাব, আৰু তেওঁলোক দোপত-দোপে উন্নতিৰ পথত আগবাঢ়ি যাব।

সেইটোৱে নহ'ব সেই কথা আমি জোৰকৈ ক'ব নোখোজোঁ। এই কথা সম্পূৰ্ণ সঁচা যে যি আঞ্চলিক বৈষম্যই অসমক দিনে দিনে ধ্বংসৰ পথলৈ আগবঢ়াই নিছে, তাৰ কাৰণে বৰ্তমান চৰকাৰৰ দুৰ্বলতা আৰু অদূৰদৰ্শিতাই বহু পৰিমাণে দায়ী। কিন্তু প্ৰত্যেক কথাৰে এটা সীমা আছে। যদি অসমীয়া মানুহে ভাবে যে তেওঁলোকৰ অধোগতি আৰু দুখ-দুৰ্ভাগ্যৰ কাৰণে কেৱল চৰকাৰহে দায়ী, চৰকাৰটো সলনি হ'লেই তেওঁলোকে একেদিনাই উন্নতিৰ টিংখোপত উঠিবগৈ— তেন্তে তাতোকৈ ডাঙৰ আত্ম-প্ৰবঞ্চনা বোধহয় আন একোৱেই হ'ব নোৱাৰে। যিবিলাক মানুহে নিজৰ ব্যক্তিগত ৰাজনৈতিক স্বাৰ্থসিদ্ধিৰ কাৰণে অসমীয়া মানুহৰ এনে

মনোভাবক প্ৰশ্ৰয় দি তেওঁলোকক বিপথে পৰিচালিত কৰিছে, তেওঁলোকেই অসমীয়া মানুহৰ আটাইতকৈ ডাঙৰ সৰ্বনাশ কৰিছে। এটা জাতিৰ উত্থান বা পতন কেৱল শাসক-শ্ৰেণীৰ চৰিত্ৰৰ ওপৰতে নিৰ্ভৰ নকৰে। সি যাইকৈ নিৰ্ভৰ কৰে সেই জাতিৰ জাতীয় চৰিত্ৰৰ ওপৰত। অসমীয়া জাতিৰ কি কি চৰিত্ৰগত দোষৰ কাৰণে এই জাতি দিনে দিনে ৰসাতললৈ যাব ধৰিছে সেই কথা বিশ্লেষণ কৰি তাৰ সংশোধনৰ কাৰণে আমি যদি চেষ্টা নকৰোঁ আৰু প্ৰত্যেকটো কথাৰ কাৰণে কেৱল চৰকাৰকে দোষ দি থাকোঁ, তেন্তে গোটেই জাতিটোকেই পৰমুখাপেক্ষী কৰি তেওঁলোকক নিষ্কৰ্মা আৰু চৰিত্ৰ-হীন কৰি তোলাহে হ'ব। সৰ্বনাশৰ এনে সুস্পষ্ট আৰু সুচল পথ দ্বিতীয় এটা নাই।

নানা ধৰণৰ ৰাজনৈতিক অভিসন্ধিমূলক প্ৰচাৰৰ ফলত আমাৰ মনত এটা ধাৰণা বদ্ধমূল হৈ সোমাই গৈছে যে কেৱল চৰকাৰী উদাসীনতা আৰু অকৰ্মণ্যতাৰ ফলতহে অসমীয়া জাতি দ্ৰুতগতিৰে ধ্বংসৰ পথলৈ নামি গৈছে। সেই কথা সম্পূৰ্ণ সঁচা নহয়। কেৱল চৰকাৰৰ লেজুত ধৰি কোনো জাতিয়েই ওপৰলৈ উঠিব নোৱাৰে। ওপৰলৈ উঠিবলৈ হ'লে এটা জাতিৰ নিজৰ উদ্যম, উচ্চাকাঙ্খা আৰু জীৱনী-শক্তি থাকিব লাগে। সেইখিনি নাথাকিলে চৰকাৰৰ তৰফৰ পৰা হাজাৰ সহায়-সহযোগিতা পালেও কোনো জাতিয়ে তাৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰিব নোৱাৰে। এই কথাৰ সমৰ্থনত আমি দুই-এটা সাম্প্ৰতিক উদাহৰণ আঙুলিয়াই দেখুৱাব পাৰোঁ। দেশ-বিভাজনৰ ফলত ভাৰতৰ যিবোৰ মানুহ আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত হৈছিল— তেওঁলোক হ'ল পঞ্জাবী আৰু বাঙালাসকল। ভাৰত দুই ভাগত বিভক্ত হোৱাৰ ফলত এই দুই ৰাজ্যৰ লক্ষ লক্ষ মানুহ সৰ্বহাৰা হৈছিল, আৰু কৰ্পদক শূন্য হৈ তেওঁলোকে ভাৰতত আশ্ৰয়-প্ৰাৰ্থী হিচাবে প্ৰৱেশ কৰিছিল। এই লোকসকলৰ পুনৰ্সংস্থাপনৰ কাৰণে ভাৰত চৰকাৰে বহু কোটি টকা ঋণ হিচাবে আগবঢ়াইছিল। পঞ্জাবী লোকসকলে নিজৰ জীৱনী-শক্তি আৰু পৰিশ্ৰম-ক্ষমতাৰ বলেৰে সেই ঋণৰ পৰিপূৰ্ণ সদ্ব্যৱহাৰ কৰি কেই বছৰমানৰ ভিতৰতে কেৱল স্বাৱলম্বী হোৱাই নহয়, ভাৰতৰ ভিতৰত আটাইতকৈ শক্তিশালী অৰ্থনৈতিক গোট হিচাবেও নিজকে প্ৰতিষ্ঠা কৰিলে; আনহাতে বহুতো বাঙালী শৰণাৰ্থীয়েই আজি পৰ্যন্ত বেমাৰী মেকুৰীৰ দৰে মিউ মিউ কৰি নিজৰ দুখৰ বিননি তুলিব ধৰিছে। অসমৰ তথাকথিত 'মৈমনসিঙীয়া' বা পমুৱা মুছলমানসকলো এসময়ত অবিভক্ত বঙ্গদেশত আছিল সমাজৰ আটাইতকৈ নিৰ্যাতিত আৰু শোষিত সম্প্ৰদায়; চৰম ধ্বংসৰ গৰাহৰ পৰা তেওঁলোকক ৰক্ষা কৰিবলৈ কোনো চৰকাৰী প্ৰচেষ্টা নাছিল। এই কথা অৱশ্যে সঁচা যে অসমৰ প্ৰচুৰ উৰ্বৰা মাটিৰ সন্ধানত এই ৰাজ্যত পঙ্গপালৰ দৰে দলে দলে প্ৰৱেশ কৰিবলৈ তেওঁলোকক সেই সময়ৰ অসম চৰকাৰে যথেষ্ট সহায় কৰিছিল। কিন্তু সেই সহায় আছিল নিতান্তই ক্ষণস্থায়ী। আৰম্ভণীতে পোৱা সেই সামান্য সুযোগৰ সম্পূৰ্ণ সদ্ব্যৱহাৰ কৰি তেওঁলোকে থলুৱা মানুহ আৰু প্ৰকৃতিৰ সমস্ত বাধাৰ বিৰুদ্ধে যুদ্ধ কৰি যিভাৱে এখন অনাত্মীয় অপৰিচিত দেশত নিজকে প্ৰতিষ্ঠা কৰিলে— সি মানৱীয় বীৰ্য্য আৰু কৰ্মশক্তিৰ এক অনুপম চানেকি। পমুৱা মুছলমান সম্প্ৰদায়ক সাত শত্ৰুৱেও এই কথা স্বীকাৰ কৰিব যে যোৱা প্ৰায় অৰ্ধ-শতাব্দী কাল ধৰি এই নিৰক্ষৰ, নিৰাশ্ৰয় আৰু নিঃসম্বল মানুহবোৰে যিটো শক্তিৰ দ্বাৰা অসমৰ এক সুবিস্তীৰ্ণ ভূ-ভাগক অৰণ্যৰ গ্ৰাসৰ পৰা মুক্ত কৰি তাত সোণৰ ফচল ফলাইছে আৰু এক নতুন আত্ম-প্ৰত্যায়-দীপ্ত জীৱনৰ পাতনি মেলিছে— তাৰ মূলতে কোনো চৰকাৰী সহায়-সমৰ্থন নাই; তাৰ মূলতে আছে এই মানুহবোৰৰ অবিশ্বাস্য জীৱনী-শক্তি আৰু পৰিশ্ৰম ক্ষমতা। আনহাতে অসমীয়া মানুহবোৰে কি কৰিছে সেই কথাও চাওক। নগা পাহাৰৰ সীমান্তৱৰ্তী দুৰ্গম অৰণ্যাঞ্চলত বহুতো অসমীয়া

আৰু অনা-অসমীয়া মানুহে মাটি দখল কৰিছে। তাৰে বহুতক চৰকাৰে বহুৱাইছে, আন বহুতে মাটি বেদখল কৰিছে। কিন্তু প্ৰায়ভাগ অসমীয়া মানুহেই বনৰীয়া জন্তু আৰু নগা লোকসকলৰ গোঁজৰণিত ভয় খাই থৰ-কাছুতি হেৰুৱাই ইতিমধ্যেই তাৰ পৰা পলাইছে; আনহাতে নেপালীকে আৰম্ভ কৰি বহুতো বহিৰাগত মানুহে অসীম ধৈৰ্য্য আৰু বীৰত্বৰে সেই মাটি কামুৰি এতিয়াও পৰি আছে। কোনো চৰকাৰে হাতত বন্দুক লৈ এই মানুবোৰক অভয় দিবলৈ যোৱা নাই। আৰু বছৰদিয়েকৰ পাচত সেই বিস্তীৰ্ণ উৰ্বৰা অঞ্চলত যদি এটা বিৰাট অনা-অসমীয়া উপনিবেশ গঢ়ি উঠে, তেন্তে অসমীয়া মানুহে দোষ দিব কাক? এজন শীৰ্ষ-স্থানীয় কমিউনিষ্ট নেতাই ভিতৰ-বিশ্বাসত আমাক কৈছে যে তেওঁলোকে যেতিয়া মাটিহীন লোকৰ দ্বাৰাই চৰকাৰী মাটি জোৰকৈ দখল কৰে, তেতিয়া অসমীয়া মানুহে অগ্ৰাধিকাৰ পোৱাটোকে তেওঁলোকে কামনা কৰে; কিন্তু পুলিচৰ প্ৰথম মাৰটো খায়েই বা সামান্য প্ৰাকৃতিক অসুবিধাৰ সন্মুখীন হৈয়েই অসমীয়া মানুহবোৰে ফৰিং ভগাদি ভাগে; কিন্তু আনবোৰ মানুহে সেই মাটিৰ দখল এৰি নিদিবলৈ ৰক্ত-বীজৰ দৰে যুদ্ধ কৰে। এনেদৰে কিছুদিন চলিবলৈ হ'লে দেখা যাব যে বাওঁপন্থী দলবোৰ নেতৃত্বত চলা মাটি বেদখলীকৰণ অভিযানৰ ফলতো অসমৰ সকলো মাটি বহিৰাগতৰ হাতলৈহে যাব, থ[illegible]া মানুহবোৰ হ'ব অঘৰী আৰু পথৰ ভিখাৰী।

চৰকাৰৰ সক্ৰিয় সহায়-সহযোগিতা আমাক নিশ্চয় লাগে। কিন্তু সেই সহায়-সহযোগিতাৰ সদ্ব্যৱহাৰ কৰিবলৈ আমাৰ নিজৰ যোগ্যতাও থাকিব লাগে। সেই যোগ্যতাৰ অৰ্থ কেৱল বৈষয়িক শক্তি-সামৰ্থ্য নহয়। কেৱল টকা-পইচাৰ জোৰত পৃথিৱীৰ কোনো জাতিয়েই কেতিয়াও ডাঙৰ হোৱা নাই। গ্ৰীকসকলে যেতিয়া উন্নতিৰ শীৰ্ষবিন্দু পাইছিলগৈ আৰু বিশ্ব-ইতিহাসৰ আটাইতকৈ মহিমা-মণ্ডিত সভ্যতাটো গঢ়ি তুলিছিল, তেতিয়া তেওঁলোক আছিল পৃথিৱীৰ দৰিদ্ৰতম জাতিবোৰৰ অন্যতম। যিটো বস্তুৱে তেওঁলোকক [illegible]লে ঠেলি নিছিল, সেইটো আছিল তেওঁলোকৰ অপৰিমেয় প্ৰাণ-শক্তি আৰু পৰিশ্ৰম-ক্ষমতা; তেওঁলোক[illegible] সম্পত্তি বা মাটি-বাৰী নহয়। অসমীয়া মানুহৰ এই প্ৰাণ-শক্তি আৰু পৰিশ্ৰম-ক্ষমতাৰেই আজি অ[illegible]কে ডাঙৰ অভাব ঘটিছে। তাৰ ফলতেই বাঘৰ গোঁজৰণি শুনি গৰুৱে নেজ মোটোকাই পলোৱাৰ দৰে অসমীয়া মানুহেও সকলোৱে গোঁজৰণিৰ ভয়ত চাৰিওফালৰ পৰা পলাই আহি চৰকাৰৰ গোহালি-ঘৰত আশ্ৰয় প্ৰাৰ্থনা কৰি কিনিনি তুলিছে। এই অৱস্থাৰ অৱসান নঘটিলে হাজাৰ চৰকাৰী চেষ্টায়ো অসমীয়া জাতিক ধ্বংসৰ গৰাহৰ পৰা উদ্ধাৰ কৰিব নোৱাৰে।

সাপ্তাহিক নীলাচল, ৭৪ সংখ্যা : ১১ মার্চ, ১৯৭০

অসমৰ আগন্তুক বাজেটত

আমি কি কি বিচাৰোঁ
আৰু কি কি নিবিচাৰোঁ

অহা ১৬ মাৰ্চৰ পৰা অসম বিধান সভাৰ বাজেট অধিৱেশন বহিব বুলি ঘোষণা কৰা হৈছে। বাজেট অধিৱেশনৰ প্ৰথম দিনাই বিধান সভাত ১৯৭০-৭১ চনৰ বাজেটখন দাখিল কৰা হ'ব। বছৰটোৰ ব্যয় পৰিকল্পনামূলক হ'বলৈ ৰাজ্যখনৰ আয়-ব্যয়ৰ স্পষ্ট ছবি এটা সকলোৰে বাবে দৰ্কাৰ। ক্ষিপ্ৰ অৰ্থনৈতিক প্ৰগতিৰ খাতিৰত আয়তকৈ ব্যয় বেছি হ'লে সাধাৰণতে বাজেটত ঘাটি পৰে, আৰু বাজেটত প্ৰদৰ্শিত ঘাটি অৰ্থনৈতিক ফালৰ পৰা সমৰ্থনীয় হৈ থকা পৰ্যন্ত আমাৰ ক'বলগীয়া বিশেষ নাথাকে। কিন্তু ঘাটি বাজেট বদ-অভ্যাসত পৰিণত হৈ আত্মঘাতীমূলক হোৱাৰ আশঙ্কা হ'লে আমি মুখ জপাই থাকিব নোৱাৰোঁ।

বাজেট অধিৱেশনত দাখিল কৰিম বুলি প্ৰস্তুত কৰি থকা অসম চৰকাৰৰ বাজেটখন যাতে আত্মঘাতীমূলক নহয় তাৰ বাবে আমি আগতীয়াকৈ দু-আষাৰ কোৱাৰ প্ৰয়োজনবোধ কৰিছোঁ। ঘাটি বাজেট কৰাৰ আগেয়ে চৰকাৰৰ আটাইখিনি প্ৰাপ্য ঋণ, সুত আৰু ৰাজহ আদায় হৈছে নে নাই চোৱাটো অৰ্থনৈতিক সমতা ৰক্ষা কৰাৰ বাবে প্ৰয়োজন। আমাৰ এই কথাষাৰ বিত্তমন্ত্ৰী শ্ৰীত্ৰিপাঠী, বিত্ত-সচিব আৰু বাজেট প্ৰস্তুত কৰাত ব্যস্ত থকা সকলোৱে সদায় মনত ৰাখিব বুলি আশা কৰিলোঁ। অনাদায়ী ঋণ, সুত আৰু ৰাজহৰ পৰিপ্ৰেক্ষিতত ঘাটি বাজেটৰ যৌক্তিকতা সম্পৰ্কে ১৯৭০-৭১ চনৰ বাজেট-বক্তৃতাত বিতং বিশ্লেষণ কৰিবৰ কাৰণে আমি বিত্তমন্ত্ৰীক অনুৰোধ জনালোঁ।

বাজেটত আয়-ব্যয়ৰ খচৰা দেখুওৱাৰ লগে লগে আয়ৰ ক্ষেত্ৰত চৰকাৰৰ পাওনা ধন আদায় হৈছে নে নাই চোৱাটো নিতান্ত প্ৰয়োজনীয়। ১৯৬৯ চনৰ চেপ্টেম্বৰ মাহত অসমৰ বিত্তীয় অৱস্থাত জটিলতাই দেখা দিয়া বুলি বিত্তমন্ত্ৰীয়ে মত প্ৰকাশ কৰিছিল আৰু এই সঙ্কটৰ ক্ষেত্ৰত বিশেষকৈ দুটা কাৰণ দৰ্শাইছিল : এটা কেন্দ্ৰীয় চৰকাৰৰ কাৰ্পণ্য (অসমৰ ক্ষেত্ৰত), আৰু আনটো ৰাজ্য চৰকাৰৰ ক্ৰমাৎ বৃদ্ধি পোৱা অধিবিকৰ্ষ (Over Draft)। অসমৰ সঙ্কটাপন্ন বিত্তীয় পৰিস্থিতিৰ এনে বিশ্লেষণ আমি অবাস্তৱ বুলি নাকচ কৰিছোঁ। এই পৰিস্থিতিত আনক দোষাৰোপ কৰাটো বিত্তমন্ত্ৰীৰ কাম নহয়। সঙ্কটাপন্ন বিত্তীয় পৰিস্থিতিত চৰকাৰৰ প্ৰাপ্য ঋণ, সুত আৰু ৰাজহ আদায় কৰাৰ বাবে কাৰ্য্যকৰী আৰু আৱশ্যক অনুযায়ী জোৰপূৰ্বক পন্থা গ্ৰহণৰ মনোনিৱেশ কৰাটোহে বিত্তমন্ত্ৰীগৰাকীৰ অসমৰ প্ৰতি একমাত্ৰ কৰ্তব্য। ১৯৬৯-৭০ চনৰ বাজেট বক্তৃতাৰ ১৯ পৃষ্ঠাত শ্ৰীত্ৰিপাঠীয়ে কৈছিল— 'আমাৰ বৰ্তমানৰ বিত্তীয় অৱস্থালৈ চাই সকলো অনাদায়ী কৰ আৰু ৰাজহ আদায়ৰ কাম খৰতকীয়া কৰি তোলাটো অতিশয় জৰুৰী হৈ পৰিছে। বিক্ৰী কৰ, বহন কৰ, কৃষি আয়কৰ, যাত্ৰী আৰু মাল-বস্তুৰ কৰ, ভূমি-ৰাজহ আৰু অন্যান্য কৰৰ ক্ষেত্ৰত সেই পৰিমাণৰ অনাদায়ী কৰ আছে। এই দুটা পৰস্পৰ-বিৰোধী মতৰ পৰা শ্ৰীত্ৰিপাঠীৰ বিত্তমন্ত্ৰী হিচাবে কাম কৰাৰ কিমান যোগ্যতা আছে সেই বিষয়ে সন্দেহ হয়। ১৯৬৯-৭০ চনৰ বাজেট-বক্তৃতাৰ ১৯ পৃষ্ঠাত বিনোবাৰ নিচিনা কিনিনি এই বছৰৰ বাজেট-বক্তৃতাত আমি আকৌ শুনিব নোখোজোঁ।

চৰকাৰৰ কাৰ্য্য-কলাপ লক্ষ্য কৰি চৰকাৰৰ আটাইখিনি পাওনা ধন আদায় হৈছে বুলি আমাৰ বিশ্বাস নহয়। ১৯৬৮ চনৰ ৩১ মাৰ্চলৈ অনুমান কৰা অনাদায়ী ভূমি-ৰাজহৰ পৰিমাণ ৪ কোটি ৩০ লাখ ২৪ হাজাৰ টকা, আৰু বন বিভাগৰ ৰাজহৰ পৰিমাণ ১ কোটি ২১ লাখ টকা। ১৯৬৮ চনৰ ৩১ মাৰ্চলৈ কৃষি ঋণ, গৃহ নিৰ্মাণ ঋণ, বিদ্যুৎ-মণ্ডলীলৈ, পৌৰসভালৈ আৰু স্থানচ্যুতসকললৈ দিয়া ঋণৰ পৰিশোধ হ'বলগীয়া কিস্তি আৰু সুত মিলি ২৫ কোটি ৩৯ লাখ ৬৭ হাজাৰ টকা অনাদায় হৈ আছে। ১৯৬৭-৬৮ চনৰ শেষত কৃষি আৰু পুনৰসংস্থাপন ঋণৰ ক্ষেত্ৰত অনাদায়ী ধনৰ পৰিমাণ হ'ল ৩ কোটি ১৬ লাখ ৬৮ হাজাৰ টকা।

এই বছৰৰ বাজেটত নতুন কৰৰ প্ৰস্তাৱ নথকাটোৱেই বাঞ্ছনীয়। পূৰ্ব প্ৰাপ্য কৰ আদায় কৰিব নোৱাৰা পৰ্যন্ত নতুন কৰা বা চলি থকা কৰৰ হাৰ বঢ়োৱাটো নিৰৰ্থক। অসমৰ মানুহৰ আৰ্থিক অৱস্থাৰ শোচনীয় পৰিস্থিতিলৈ চকু ৰাখি চৰকাৰে নতুন কৰা প্ৰস্তাৱৰ দৰে কঁকাল ভঙা পদ্ধতি অৱলম্বন কৰাটো সমীচীন নহ'ব, যদিহে ইয়াৰ অন্তৰালত কাৰো একো সুদূৰপ্ৰসাৰী কু-অভিসন্ধি নাথাকে। নতুন কৰ বহুৱালে ক্ৰয়-ক্ষমতা হ্ৰাস পাব আৰু তাৰ ফলত বৰ্তমান নিম্ন স্তৰত থকা জীৱন-নিৰ্বাহৰ মানদণ্ড আৰু তললৈ নামি যাব। প্ৰাপ্য কৰ অনাদায় হৈ থকা পৰ্য্যন্ত অসমৰ ৰাইজৰ ওপৰত নতুন কৰ বহুৱাবলৈ অসম চৰকাৰৰ কোনো নৈতিক অধিকাৰ নাই আৰু চৰকাৰে এনে কিবা ব্যৱস্থা ল'লে, এই চৰকাৰক আমি জনগণ-বিৰোধী শোষক চৰকাৰ বুলি ক'বলৈ বাধ্য হ'ম। চৰকাৰে প্ৰায় ৪ কোটি টকাৰ নতুন কৰৰ প্ৰস্তাৱ কৰিব বুলি শুনা হৈছে। কিন্তু বৰ্তমান অনাদায়ী কৰৰ পৰিপ্ৰেক্ষিতত উপৰোক্ত প্ৰস্তাৱ আগন্তুক বাজেটৰ অন্তৰ্ভুক্ত নহ'ব বুলি আমি ভাবোঁ। বৰ্তমান অনাদায়ী বিক্ৰী আৰু আন আন কৰৰ পৰিমাণ প্ৰায় ২ কোটি টকা, আৰু অনাদায়ী কৃষি আয়কৰৰ পৰিমাণ প্ৰায় ২ কোটি টকা।

১৯৭০-৭১ চনৰ বাজেট প্ৰস্তুতিত আন এটা লক্ষ্য ৰাখিবলগীয়া কথা হ'ল হিচাব-পৰীক্ষকৰ প্ৰতিবেদনত উল্লেখ থকা অগণন অনিয়মীয়া ব্যয় (১৮ ফেব্ৰুৱাৰীৰ নীলাচল দ্ৰষ্টব্য)। অসম চৰকাৰৰ বিভিন্ন বিভাগবোৰত থকা অমীমাংসিত আঁসোৱাহৰ মুঠ সংখ্যা হ'ল ৬৫,৯৩২ টা আৰু এইবোৰত সংশ্লিষ্ট থকা আৰু গাৰ শিয়ৰি উঠা টকাৰ পৰিমাণ ৩৮ কোটি ৯০ লাখ ৮১ হাজাৰ।

মুঠ অনাদায়ী ঋণ আৰু সুতৰ পৰিমাণ হ'ল ৩৪ কোটি ৭ লাখ ৫৯ হাজাৰ টকা; মুঠ অনাদায়ী কৰৰ পৰিমাণ ৪ কোটি টকা; আৰু এই দুয়োটাতেই সোমাই থকা মুঠ টকা হ'ল ৩৮ কোটি ৭ লাখ ৫৯ হাজাৰ। ইয়াৰ লগত হিচাব-পৰীক্ষকে দৰ্শোৱা অনিয়ম-ব্যয় যোগ দিলে আমি পাওঁ ৭৬ কোটি ৯৮ লাখ ৪০ হাজাৰ টকা।

এনে ক্ষেত্ৰত ঘাটি বাজেট দাখিল কৰাৰ কোনো অৰ্থনৈতিক যৌক্তিকতা নাই। যোৱা বছৰৰ বাজেটত ঘাটি ধনৰ পৰিমাণ আছিল ৩৪ কোটি টকাৰ ওপৰ। ১৯৭০-৭১ চনৰ বাজেটত ঘাটিৰ পৰিমাণ ৫০/৬০ কোটি টকাৰ ভিতৰত হোৱাৰ সম্ভাৱনা আছে। কিন্তু ঘাটিতকৈ চৰকাৰৰ পাওনা ধনৰ পৰিমাণ বহুত বেছি।

বাজেটৰ ঘাটি চূড়ান্ত অপচয় বুলি ক'ব পাৰি। এই ঘাটি অৰ্থনৈতিক প্ৰগতিৰ বাবে আৱশ্যকীয় সম্পদ আহৰণ হিচাবে ব্যৱহৃত নহৈ, সংশ্লিষ্ট চৰকাৰী বিষয়াসকলৰ হেমাহি আৰু অকৰ্মণ্যতাৰ বাবে অনাদায়ী হৈ থকা ধনৰ জোৰা মাৰিবলৈহে ব্যৱহৃত হৈ আছে। এনে ঘাটি বাজেট অৰ্থনৈতিক প্ৰগতিৰ খাতিৰত কৰা বুলিব নোৱাৰি, ইয়াক চৰকাৰী অকৰ্মণ্যতাৰ ঢাকনী বুলি কোৱাহে উচিত। কোনো ৰাজ্য যে অৰ্থনৈতিক ফালৰ পৰা এই পথ আত্মঘাতীমূলক পথ। এইখিনিতে আৰু এবাৰ কৈ থওঁ যে আগন্তুক বাজেটত যেন কেন্দ্ৰীয় সাহায্য হিচাবে পোৱা ধন উৎপাদন বৃদ্ধিৰ বাবেহে নিয়োজিত হয়, চৰকাৰী অক্ষমতা আৰু অযোগ্যতাৰ বাবে সৃষ্টি হোৱা নাটনি পূৰাবলৈ যেন ব্যৱহৃত নহয়।

সাপ্তাহিক নীলাচল ৭৫ সংখ্যা : ১৮ মার্চ, ১৯৭০

'গড়কাপ্তানী' আৰু 'খাল আৰু মথাউৰি বিভাগৰ' অকথিত কাহিনী

It is the simple things that really matter
– Bertrand Russel.

কিছু বছৰৰ আগতে ৰাজা গোপালাচাৰীয়ে গড়কাপ্তানী বিভাগক দুই নম্বৰ ৰাজহুৱা শত্ৰু বুলি বৰ্ণনা কৰিছিল। তেওঁৰ মতে জনসাধাৰণৰ এক নম্বৰ শত্ৰু হ'ল কমিউনিজম্। ৰাজাজীৰ বহু কথাৰ লগত একমত হোৱা বৰ টান। তেওঁৰ অৰ্থনৈতিক দৰ্শন সম্পূৰ্ণৰূপে প্ৰতিক্ৰিয়াশীল। কিন্তু সেই বুলি তেওঁৰ মুখেদি ওলোৱা প্ৰত্যেকটো কথাই যে অগ্ৰহণীয় বা একদেশদৰ্শী— সেই কথা নিশ্চয় নহয়। তেওঁ জীৱনৰ বাস্তব অভিজ্ঞতা আৰু দৃষ্টিভঙ্গীৰে কোৱা বহু কথাৰ মাজত যথেষ্ট সত্যতা লুকাই থাকে, আৰু সেইবোৰৰ মাজত জনসাধাৰণৰ অপ্ৰকাশিত অনুভূতিও প্ৰতিফলিত হৈ উঠে। গড়কাপ্তানী বিভাগৰ বিষয়ে তেওঁ কৰা উক্তিও এই শাৰীৰে এটা স্মৰণীয় আৰু তাৎপৰ্য্যপূৰ্ণ মন্তব্য।

দেশে স্বাধীনতা লাভ কৰাৰ পিচত যিবোৰ চৰকাৰী বিভাগৰ অভূতপূৰ্ব সম্প্ৰসাৰণ ঘটিল, সেইবোৰৰ ভিতৰত গড়কাপ্তানী বিভাগ অন্যতম। দেশ পৰাধীন হৈ থকা অবস্থাত যাতায়াত, পৰিবহন, জলসিঞ্চন, বন্যা-প্ৰতিৰোধ, গৃহ-নিৰ্মাণ আদি জনকল্যাণমূলক কাম-কাজবোৰৰ প্ৰায় অস্তিত্বই নাছিল। স্বাধীনতা পোৱাৰ লগে লগে অতি ব্যাপক ভিত্তিত এই কামবোৰ হাতত লোৱা হ'ল। তদুপৰি তিনিটাকৈ পঞ্চবাৰ্ষিকী পৰিকল্পনা হাতত লোৱাৰ ফলত প্ৰশাসনীয় আৰু উন্নয়নমূলক কাম-কাজৰ অভূতপূৰ্ব বিস্তৃতি ঘটাৰ কাৰণে সেইবোৰৰ কাৰণেও অজস্ৰ ঘৰ-দুৱাৰৰ প্ৰয়োজন হ'ল। এই সকলোবোৰ কামৰ দায়িত্ব বহন কৰিব লগা হ'ল গড়কাপ্তানী বিভাগে। অন্যান্য সকলো চৰকাৰী বিভাগৰ লগত গড়কাপ্তানী বিভাগৰ এটা ডাঙৰ পাৰ্থক্য হ'ল এয়েই যে কিছুমান চৰকাৰী বিভাগে কেৱল টকা উপাৰ্জন কৰে, কিছুমানে উপাৰ্জনো কৰে খৰচো কৰে, কিন্তু গড়কাপ্তানী বিভাগে টকা কেৱল খৰচহে কৰে। দেশ স্বাধীন হ'বৰ দিন ধৰি অজস্ৰ নিৰ্মাণ-কাৰ্য্য এই বিভাগৰ ওপৰত অৰ্পিত হ'ল আৰু তাৰ কাৰণে কোটি কোটি টকাও এই বিভাগৰ হাতত দিয়া হ'ল। এই সকলোবোৰ টকা সৎভাবে খৰচ হোৱা হ'লে জনসাধাৰণৰ প্ৰভূত উপকাৰ হ'লহেঁতেন— সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু সেইটো নহ'ল। দেশখন স্বাধীন হ'ল হয়, কিন্তু দেশৰ বেছি ভাগ মানুহৰে মনবোৰ লোভ, নীচতা আৰু স্বাৰ্থপৰতাৰ বন্ধনৰ পৰা স্বাধীন হ'ব নোৱাৰিলে। ফলত কোটি কোটি টকা খৰচ কৰিবলৈ হাতত পাই এই বিভাগৰ বহুতো বিষয়া আৰু কৰ্মচাৰীয়েই উন্মাদ-প্ৰায় হৈ উঠিল; চৰকাৰী টকা অন্যায়ভাৱে কোনে কিমান হস্তগত কৰিব পাৰে তাৰে এটা ভীষণ প্ৰতিযোগিতা আৰম্ভ হ'ল। এই ঘটনাৰ দ্বিতীয় উল্লেখযোগ্য পৰিণাম হ'ল দেশত ঠিকাদাৰ নামৰ এটা নতুন সুবিধাভোগী শ্ৰেণীৰ অভ্যুদয়। জনসাধাৰণৰ মনত বহু দিনৰ পৰা এটা সন্দেহ পুঞ্জীভূত হৈ আছে যে কংগ্ৰেছ চৰকাৰে তেওঁলোকৰ বহুতো অনুগ্ৰহপুষ্ট দালালক শকত ঠিকা দি পুৰস্কৃত কৰিছিল, বহুতো নেতাই বেনামীকৈ ঠিকা লৈছিল, কংগ্ৰেছৰ

নির্বাচন পুঁজিলৈ বৃহৎ পৰিমাণৰ বৰঙণি আহিছিল ঠিকাদাৰৰ জেপৰ পৰা। কিন্তু এইটোও জনা কথা যে ঠিকাদাৰক অন্যায়ভাৱে সহায় কৰিবলৈ হ'লে গড়কাপ্তানী বিভাগৰ বিষয়াৰ সহায় নল'লে নহয়। ফলত মন্ত্ৰী আৰু বিষয়াসকল Partners in crime অৰ্থাৎ অপৰাধৰ অংশীদাৰ হৈ পৰে। যি মন্ত্ৰীয়ে কোনো এজন এক্‌জিকিউটিভ্ ইঞ্জিনীয়াৰক এই বুলি ক'ব লগা হয়— 'হেৰি অমুকক অমুক দলং বা তমুক মথাউৰিৰ ঠিকাটো দিব দেই'— সেই মন্ত্ৰীৰ বিষয়াজনৰ কোনো অপকৰ্ম বা দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিবলৈ একো নৈতিক অধিকাৰ নাথাকে। জনসাধাৰণৰ মনত এই সন্দেহ পুঞ্জীভূত হৈ আছে যে কংগ্ৰেছী চৰকাৰে বা মন্ত্ৰীসকলে যোৱা বাইশ বছৰে নিজৰ ব্যক্তিগত স্বাৰ্থত বা নিৰ্বাচনৰ পুঁজিৰ স্বাৰ্থত বা অনুগ্ৰহপুষ্ট দালালক পুৰস্কৃত কৰাৰ স্বাৰ্থত গড়কাপ্তানী বিষয়াসকলৰ সহায় লৈ লৈ তেওঁলোকৰ দুৰ্নীতিৰ বিৰুদ্ধে নিজকে নৈতিকভাৱে শক্তিহীন কৰি তুলিছে। ফলত গড়কাপ্তানী বিভাগৰ দুৰ্নীতি, ঔদ্ধত্য আৰু অপচয়ৰ প্ৰতিবাদ কৰোঁতা কোনো নাই। ৰাজা গোপালাচাৰীয়ে মাদ্ৰাজৰ মুখ্যমন্ত্ৰী হৈ থাকোঁতেই যে এই বিভাগটোক জনসাধাৰণৰ দুই নম্বৰ শত্ৰু বুলি অভিহিত কৰিছিল, তাৰ মূলতে নিশ্চয় আছিল এই বিভাগৰ অমাৰ্জনীয় অপচয় আৰু দুৰ্নীতি সম্পৰ্কে তেওঁৰ বাস্তৱ অভিজ্ঞতা। শ্ৰীগুলজাৰীলাল নন্দ পৰিকল্পনা মন্ত্ৰী হৈ থাকোঁতে তেৰোঁ আপত্তি কৰিছিল যে বিভিন্ন নিৰ্মাণ-কাৰ্য্যত জড়িত বিষয়া আৰু ঠিকাদাৰসকলৰ দুৰ্নীতিৰ ফলতেই দেশৰ সকলোবোৰ উন্নয়নমূলক কাম-কাজ ব্যাহত হৈছে। যি কোনো এটা নিৰ্মাণ-আঁচনিৰ কাৰণে নিৰ্ধাৰিত টকাৰ কিমান অংশ অন্যায়ভাৱে বিষয়া আৰু ঠিকাদাৰসকলৰ জেপলৈ গৈ বাকী কিমান টকা আচল কামত খৰচ হয়, তেওঁ তাৰ এটা থুল-মূল হিচাবো দাঙি ধৰিছিল (টায়া জিন্‌কিন্‌চৰ 'চেলেঞ্জেচ্ ইন্ ইণ্ডিয়া' গ্ৰন্থ দ্ৰষ্টব্য)।

সি যি কি নহওক, মূঠতে এই কথা সত্য যে চৰকাৰৰ সকলো বিভাগৰ ভিতৰত গড়কাপ্তানী (বান আৰু মথাউৰি বিভাগকে ধৰি) বিভাগতেই দুৰ্নীতিৰ সুবিধা বেছি, আৰু এই সুবিধা লোৱা বা ল'ব খোজা মানুহৰো অভাৱ হোৱা নাই। বিশ্লেষণ কৰি চালে এই কথাও ধৰা পৰিব যে পৰোক্ষভাৱে চৰকাৰেই এই দুৰ্নীতি বৃদ্ধি হোৱাত সহায় কৰিছে। কিন্তু এইবোৰ কম-বেছি পৰিমাণে সকলোৱে জনা বা আলোচনা কৰা কথা। এই বিভাগ দুটাৰ বিষয়ে নতুনকৈ আমাৰ চকুত পৰা এটা কথাৰ প্ৰতিহে আমি আজি সকলোৰে মনোযোগ আকৰ্ষণ কৰিব খুজিছোঁ। কথাটো হৈছে এই যে এই বিভাগ দুটাই বছৰি যি কোটি কোটি টকাৰ ঠিকা দিয়ে, সেই ঠিকাৰ ক্ষেত্ৰত সুপৰিকল্পিতভাৱে অসমৰ থলুৱা লোকক উচ্ছেদ কৰি তাৰ ঠাইত দলে দলে বহিৰাগতক আমদানি কৰা হৈছে। অৰ্থাৎ চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য, শিল্প-উদ্যোগ আদি কোনো ক্ষেত্ৰতে অসমৰ থলুৱা মানুহে যে কোনো সুবিধা নাপায়েই,— সহজে কৰিব পৰা আৰু অসম চৰকাৰে দিব পৰা ঠিকা কামৰ ক্ষেত্ৰতো এতিয়া থলুৱা লোকক বঞ্চিত কৰা হৈছে। এই কথা সকলোৱেই জানে যে অসমৰ থলুৱা মানুহে মাটি নথকাৰ ফলত (এই শ্ৰম-বিমুখতাৰ চৰম প্ৰায়শ্চিত্ত এদিন তেওঁলোকে কৰিব লাগিব) কেৱল মাটি কটা কামৰ কাৰণেই বছৰি কোটি কোটি টকা বাহিৰলৈ গুচি যায়। গড়কাপ্তানী আৰু মথাউৰি বিভাগৰ টকা অসমত ৰাখিবৰ একমাত্ৰ উপায় হ'ল অন্ততঃ ঠিকাকেইটা অসমৰ থলুৱা মানুহক দিয়া। কিন্তু আমি সম্প্ৰতি নানা ঠাইৰ পৰা অভিযোগ পাব ধৰিছোঁ যে কণা হাঁহক পতান ধান দি আতুৱা-ভৰাৰ দৰে নামমাত্ৰ ঠিকাৰ কাম থলুৱা মানুহক দি বাকী গোটেইবোৰ কাম (বিশেষকৈ বান আৰু মথাউৰি বিভাগত) দিয়া হৈছে বহিৰাগতক। এক কোটি টকাতকৈও অধিক টকা ব্যয় কৰি কৰিব লগা গুৱা নিয়ন্ত্ৰণ

আঁচনিৰ ঠিকাও উপযুক্ত থলুৱা প্ৰাৰ্থীক উপেক্ষা কৰি বাহিৰৰ মানুহক দিয়া হৈছে বুলি আমি জানিব পাৰিছোঁ।

কেন্দ্ৰীয় চৰকাৰে অসমক মাহী আইৰ দৰে ব্যৱহাৰ কৰি অসমৰ মানুহক কোনো ক্ষেত্ৰতে সুবিচাৰ নকৰে বুলি কৰা অভিযোগৰ অন্ত নাই। এই অভিযোগ আমি নিজেও কৰি আহিছোঁ কিন্তু কেন্দ্ৰীয় চৰকাৰতকৈও আমাৰ নিজৰ ৰাজ্য চৰকাৰে যে আমাৰ মানুহৰ স্বাৰ্থৰ বিৰুদ্ধে কেনেকৈ কাম কৰিব লাগিছে— সেই বিষয়ে কোনেও একো প্ৰশ্ন নোতোলা বা তাৰ বিৰুদ্ধে এষাৰো মাত নমতাটোহে নিশ্চয়-অতি ৰহস্যময় কথা। আবকাৰী বিভাগৰ যি মদৰ মহলবোৰৰ পৰা বছৰি কোটি কোটি টকা উপাৰ্জন হয়, তেনেকুৱা কেইখন মদৰ মহল থলুৱা মানুহৰ হাতত আছে। গড়কাপ্তানী আৰু মথাউৰি বিভাগে বছৰি যি কোটি কোটি টকাৰ ঠিকা দিয়ে, তেনেকুৱা কেইটা ঠিকা থলুৱা মানুহে পায়? বন বিভাগৰ কিমান ঠিকা আৰু লীজ্ থলুৱা মানুহে পাইছে? এইবোৰ কাম বাহিৰৰ মানুহক দিবলৈ অসম চৰকাৰক কোনে আহি হাতত ধৰি জোৰ কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে আমাৰ নিশ্চয় বহুতো যুক্তিসঙ্গত অভিযোগ আছে। কিন্তু যি স্থলত আমাৰ নিজৰ ৰাজ্য চৰকাৰেই নিজে দিব পৰাখিনিও আমাক নিদি প্ৰকৃত পক্ষে আমাৰ মুখৰ ভাত কাঢ়ি নি আনক দিছে, তেনে স্থলত কেৱল কেন্দ্ৰ চৰকাৰৰ বিৰুদ্ধেই অভিযোগ কৰি থাকিবলৈ আমাৰ কিবা নৈতিক অধিকাৰ আছেনে? প্ৰত্যেক অসমবাসীয়েই আজি এই প্ৰশ্নটো ভালকৈ চিন্তা কৰি চাই তাৰ এটা উত্তৰ বিচাৰি উলিয়াবলৈ যত্ন কৰা উচিত।

অসমৰ থলুৱা মানুহক কিয় মদৰ মহল দিব পৰা নহয়, কিয় মথাউৰিৰ ঠিকা দিব পৰা নহয়, কিয় শুক্লা নদী আঁচনিৰ ঠিকা দিব পৰা নহয়, কিয় বন বিভাগৰ ঠিকা দিব পৰা নহয়— ইত্যাদি বিষয়ে অসম চৰকাৰৰ নিশ্চয় কিছুমান কৈফিয়ৎ আছে। সেই কৈফিয়ৎবোৰ ৰাজহুৱাভাৱে জনাবলৈ আমি অসম চৰকাৰক অনুৰোধ কৰিলোঁ। তেতিয়া আমিও সেইবোৰৰ প্ৰত্যুত্তৰ দিব পাৰিম। ইতিমধ্যে বিধান সভাৰ অধিৱেশন চলি থকাৰ সুযোগতে ওপৰত উল্লেখ কৰা প্ৰশ্নবোৰ সম্পৰ্কে চৰকাৰৰ উত্তৰ বিচাৰিবলৈ ৰাইজৰ প্ৰতিনিধিসকলক আমি অনুৰোধ কৰিলোঁ যে তেওঁলোকে এনেবোৰ গুৰুত্বপূৰ্ণ বিষয় খৰচি মাৰি আলোচনা নকৰাৰ কাৰণে নানা লোকে নানা কথা কয়।

অসমৰ নতুন বাজেট আৰু ৰাইজৰ নতুন আতঙ্ক

একাদিক্ৰমে চতুৰ্থ বছৰৰ কাৰণে অসমৰ বাজেটত বৃহৎ পৰিমাণৰ টকাৰ ঘাটি দেখুওৱা হৈছে। জনসাধাৰণে বুজি নোপোৱা দুৰ্বোধ্য অৰ্থনৈতিক ভাষাৰে এই ঘাটিৰ যিয়েই কাৰণ দেখুওৱা নহওক বা কথাৰ চালাকিৰে যিমানেই আচল কথা ঢাকিবলৈ চেষ্টা কৰা নহওক কিয়— অতি অজলা মানুহেও এতিয়া এই কথা বুজি পাইছে যে অসমৰ এই অৰ্থনৈতিক বিপৰ্য্যয়ৰ কাৰণে চৰকাৰৰ অকৰ্মণ্যতাই ঘাইকৈ দায়ী। এই অকৰ্মণ্যতা দুই ধৰণৰ। প্ৰথমতে চৰকাৰে কৰ-কাটল আৰু ঋণ আদি নিজৰ প্ৰাপ্য টকা আদায় কৰিবলৈ অসমৰ্থ হৈছে, দ্বিতীয়তে প্ৰশাসনৰ ক্ষেত্ৰত যি অবিশ্বাস্য পৰিমাণৰ অপব্যয় হৈছে তাৰ গতি ৰোধ কৰাত সমূলি ব্যৰ্থ হৈছে, যোৱা কেইবা বছৰ ধৰি আমি এটা কথা শুনি আহিছোঁ যে [illegible]কাৰী প্ৰশাসনৰ ক্ষেত্ৰত ব্যয় সংকোচন কৰাৰ বাহিৰে এই বিৰাট ঘাটি হ্ৰাস কৰাৰ বিশেষ বিকল্প ব্যৱস্থা একো নাই; এই ব্যয় সঙ্কোচনৰ কাৰণে চৰকাৰে ঘোষণা কৰা নানা শ্ৰুতিমধুৰ ব্যৱস্থাৰ কথাও আমি শুনি আহিছোঁ। এবাৰ বিত্তমন্ত্ৰী শ্ৰীত্ৰিপাঠীয়ে এই বুলি ঘোষণা কৰিও সকলোকে চমক লগাইছিল যে যি স্থলত মাত্ৰ চল্লিশ হাজাৰ কৰ্মচাৰীৰেই চৰকাৰৰ কাম চলি যায়, তেনে স্থলত অসম চৰকাৰে আশী হাজাৰ কৰ্মচাৰী পুহি ৰাখিব লগা হৈছে। কামত নলগা এই অতিৰিক্ত চল্লিশ হাজাৰ কৰ্মচাৰীক কোনে নিয়োগ কৰিছিল? বৰ্তমানৰ এই কংগ্ৰেছী চৰকাৰেই সেইবোৰ লোকক নিয়োগ কৰিছিল নে বৃটিছ চৰকাৰে নিয়োগ কৰি থৈ গৈছিল। এই একেটা মাত্ৰ উক্তিৰ দ্বাৰাই শ্ৰীত্ৰি[illegible] প্ৰমাণ কৰি থৈছে যে দীৰ্ঘকাল ধৰি এই চৰকাৰৰ অকৰ্মণ্যতা আৰু অদূৰদৰ্শিতাৰ ফলতেই অসমৰ অ[illegible]ক ৰাজহাড় একেবাৰে ভাগি পৰিছে। কিন্তু তাৰ ভয়াবহ পৰিণাম মন্ত্ৰী আৰু নেতাসকলে ভোগ কৰিব লগা হোৱা নাই, সেইটো ভোগ কৰিব লগা হৈছে দেশৰ দুখীয়া ৰাইজেহে। প্ৰশাসনীয় ক্ষেত্ৰত ব্যয় সঙ্কোচন কৰিম বুলি চৰকাৰে যি ঘোষণা কৰিছিল, তাৰ নমুনা হ'ল চৌবষ্ঠি হাজাৰটাকে হিচাব-পৰীক্ষকৰ আপত্তি, মন্ত্ৰীৰ কাৰণে বিলাতী গাড়ী ক্ৰয় আৰু বিষয়াৰ কাৰণে বিলাসী গৃহ নিৰ্মাণ, আত্মীয় স্বজনকে সুবিধা দিবৰ কাৰণে নতুন নতুন চাকৰিৰ সৃষ্টি।

চৰকাৰৰ কিমান কৰ-কাটল আৰু ঋণ অনাদায় হৈ পৰি আছে তাৰ চাঞ্চল্যকৰ হিচাব ইতিমধ্যে এই কাকততেই ওলাই গৈছে। এই গোটেইবোৰ কৰ-কাটল নিশ্চয় মানুহে দিব নোৱাৰাৰ কাৰণেই অনাদায় হৈ পৰি থকা নাই, তাৰ এটা বৃহৎ অংশ অনাদায় হৈ আছে সংগ্ৰহকাৰী বিভাগৰ যথোচিত সক্ৰিয়তাৰ অভাৱতহে। এইখিনিতেই এটা প্ৰশ্ন হয়ঃ প্ৰাপ্য কৰখিনিকেই যদি চৰকাৰে যথাসময়ত আদায় কৰি ল'ব নোৱাৰে, তেন্তে নতুনকৈ কৰ লগাই কিবা লাভ আছে জানো? সেইখিনিওযে অনাদায় হৈ পৰি নাথাকিব, তাৰ কি নিশ্চয়তা আছে, কিন্তু লাভ নহ'লেও ডাঙৰ এটা লোকচান হ'লে আছে। সেই লোকচান দুখীয়া ৰাইজৰ। ধৰি লওক, কিবা এটা বিশেষ বস্তুৰ ওপৰত বিক্ৰী-কৰ বঢ়াই দিয়া হ'ল। ফলত সেই বস্তুৰ দাম বাঢ়ি গ'ল, অৰ্থাৎ ব্যৱসায়ীয়ে গ্ৰাহকৰ পৰা সেই বিক্ৰী কৰটো আদায় কৰিলে। কিন্তু চৰকাৰে যদি সেই ব্যৱসায়ীজনৰ পৰা বিক্ৰী কৰটো আদায় কৰিব নোৱাৰে বা আদায় কৰাত গাফিলতী দেখুৱায়, তেন্তে এই বৰ্দ্ধিত কৰৰ পৰা ব্যৱসায়ী সম্প্ৰদায়ৰ বাহিৰে চৰকাৰৰ বা দুখীয়া ৰাইজৰ কিবা উপকাৰ হ'বনে?

বাজেটৰ বিষয়ে পণ্ডিতৰ গুৰু-গম্ভীৰ অৰ্থনৈতিক ব্যাখ্যা নিৰৰ্থক যদিহে সি সাধাৰণ ৰাইজৰ প্ৰকৃত অনুভূতি আৰু অৱস্থা প্ৰকাশ কৰিব নোৱাৰে। চৰকাৰৰ অকৰ্মণ্যতা আৰু খোঁৱাখুলীয়া স্বাভাৱৰ ফলত বছৰে বছৰে বাজেটৰ ঘাটি বাঢ়ি গৈ আছে। এই ঘাটি পূৰাবৰ কাৰণে চৰকাৰে একমাত্ৰ উপায় বিচাৰি পাইছে কৰ-কাটল বৃদ্ধি কৰাত। ইতিমধ্যেই অসমৰ মানুহে ভাৰতৰ সকলো ৰাজ্যৰ মানুহতকৈ বহুত বেছি দাম দি চেনি, চাহ, কেৰাচিন তেল, পেট্ৰল আদি কিনে। মহাৰাষ্ট্ৰত চাফা কেৰাচিন তেলৰ দাম লিটাৰত ৫০ পইচা, অসমত ৬৫ পইচা। পেট্ৰলৰ দাম মহাৰাষ্ট্ৰত এটাক দহ পইচা, অসমত এটকা সাতাইশ পইচা। এইদৰে প্ৰত্যেক বস্তুৰে দাম অসমত বেছি। তাৰ ওপৰত ঘাটি বাজেট পূৰাবৰ কাৰণে প্ৰত্যেক বছৰেই বস্তুৰ দাম বাঢ়ি গৈ আছে। দাম যে কোনোবা দিনা কমিব তাৰ কোনো ইঙ্গিত নাই। কাৰণ এই বিপুল পৰিমাণৰ ঘাটি পূৰণ কৰিবলৈ কোনো বিকল্প ব্যৱস্থাৰ ক্ষীণতম আভাস আমাৰ চকুৰ আগত দাঙি ধৰা হোৱা নাই। দুখীয়া ৰাইজৰ ওপৰত কৰ বহুৱটোৱেই একমাত্ৰ পথ। এই কৰ-বৃদ্ধিৰ শেষ ক'ত? অহা বছৰো যে কৰ নাবাঢ়িব তাৰ কি নিশ্চয়তা আছে? বৰঞ্চ অহা বছৰ ঘাটিৰ পৰিমাণ আৰু বেচি হোৱাৰহে সম্ভাৱনা, কাৰণ নিৰ্বাচনৰ তাৰিখ কাষ চাপি অহাৰ লগে লগে কৰ-সংগ্ৰহৰ গতিও ঢিলা হৈ অহাৰ আশঙ্কা আছে। অৱস্থা যি দেখা গৈছে, অসহনীয় কৰ আৰু চৰা দামৰ হেঁচাত পৰি গুড়ি হ'বলৈ নিৰুপায়ভাৱে অপেক্ষা কৰি থকাৰ বাহিৰে অসমৰ মানুহৰ আন কোনো গত্যন্তৰ নাই।

কিন্তু হোজা আৰু বোবা জনসাধাৰণৰো ধৈৰ্য্যৰ এটা সীমা আছে। দেশৰ অৰ্থনৈতিক অৱস্থাই কি ৰূপ লৈছেগৈ সেই কথা মন্ত্ৰীৰ বুজিবৰ উপায় নাই, কাৰণ ঘাটিৰ পৰিমাণ বাঢ়ি গৈ আছে বুলি মন্ত্ৰীৰ গাড়ী নচলাকৈ থকা নাই, ৰিফ্ৰিজেৰেটৰত চৰ্বত ঠাণ্ডা নোহোৱাকৈ থকা নাই, চেনিৰ অভাৱত চাহ কোনোদিনে বিস্বাদ হোৱা নাই। অৱস্থা কি হৈছেগৈ সেই কথা বুজি পায় হালোৱা-চহোৱা ৰাইজ মখাইহে— যিসকলে দুবছৰৰ আগতে কেৰাচিন তেল কিনিছিল ৫০ পইচা লিটাৰত, এতিয়া কিনিছে ৬৫ পইচাত আৰু দুদিনমান পাচতে হয়তো কিনিব লাগিব ৭০ পইচাত। তেওঁলোকৰ ধৈৰ্য্যচ্যুতি ঘটিছে। চৰকাৰে অতি সোনকালে কিবা এটা নকৰিলে দেশৰ অৱস্থা হ'ব ভয়ঙ্কৰ।

এই কিবা এটা কৰাৰ প্ৰথম পদক্ষেপ হ'ব লাগিব অতি কঠোৰ হাতেৰে প্ৰশাসনীয় ব্যয় হ্ৰাস কৰা, সকলো অপব্যয় ৰোধ কৰা, আৰু ওপৰ মহলাৰ সমস্ত বিলাসী ব্যয় এই মুহূৰ্ত্ততে বন্ধ কৰা। চৰকাৰৰ দুৰ্নীতি আৰু অপচয় উদঙাই দেখুওৱাৰ কাৰণে বাতৰি কাকতক ৰঙা চকু দেখুৱাব পাৰি, কিন্তু দেশৰ জনসাধাৰণক নিশ্চয় নোৱাৰি। বিধান সভাৰ বিৰোধী পক্ষৰ সদস্যসকলেও এটা কথা মনত ৰখা উচিত যে তেওঁলোকে যদি সুদূৰ ভৱিষ্যততো কোনোবা এদিন চৰকাৰ গঠনৰ স্বপ্ন দেখিছে, তেন্তে বৰ্তমান চৰকাৰৰ পৰা যাতে উত্তৰাধিকাৰ হিচাবে এটা তলী উদং ভঁড়াল নেপায় তাৰ কাৰণে এতিয়াৰ পৰাই সাৱধান হ'ব লাগিব। সেই উদ্দেশ্যেৰে তেওঁলোক নিৰ্মমভাৱে চৰকাৰৰ অপব্যয় আৰু অকৰ্মণ্যতা উদঙাই দেখুৱাই এই চৰকাৰক মিতব্যয়ী হ'বলৈ বাধ্য কৰা উচিত।

দোষ আৰু শাস্তি

মাত্ৰ এসপ্তাহৰ অগা-পিচাকৈ অসমৰ দুখন প্ৰধান নগৰ চিলং আৰু গুৱাহাটীত দুটা ঘটনা ঘটি গ'ল। গুৱাহাটীত ফাকুৱাৰ দিনা ফাঁচী বজাৰৰ ব্যৱসায়ী আঞ্চলৰ সোঁমাজত চৰকাৰী বিষয়াক নিৰ্দয়ভাৱে প্ৰহাৰ আৰু অপমান কৰা হয়। তাৰ প্ৰায় এসপ্তাহ পিচতে চিলঙৰ এটা চিনেমা হলত এজনী কোমল বয়সীয়া ছোৱালীৰ ওপৰত অপৰাধ-মূলক দুৰ্ব্যৱহাৰ কৰা হয়। আমি অৱশ্যে ক'ব খোজা নাই যে এনে ধৰণৰ দুষ্কাৰ্য্য এয়ে প্ৰথম ঘটিল, এনে ধৰণৰ নাভূত-নাশ্ৰুত ঘটনা ইয়াৰ আগতে কেতিয়াও ঘটা নাছিল। কিন্তু একাধিক কাৰণত এই দুটা ঘটনাক বিশেষ গুৰুত্ব সহকাৰে বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। আমাৰ কাকতৰ স্থানান্তৰত এই ঘটনাৰ যি বিবৰণ প্ৰকাশ হৈছে, তাৰ পৰা দেখা যাব যে এই দুটা ঘটনা সাধাৰণ অপৰাধ-জীৱী, অৰ্থাৎ যি সকল লোকে অপৰাধ কৰিয়েই জীৱিকা নি[illegible] কৰে আৰু অপৰাধেই যাৰ জীৱনৰ পিচা, তেনে লোকৰ দ্বাৰা সংঘটিত হোৱা নাই। শীতল মগজ আৰু হিচাবী লগত বুদ্ধিৰ ব্যৱসায়ী লোকেহে এই দুয়োটা ঘটনাৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত আছে বুলি অভিযোগ উঠিছে। চিলং আৰু গুৱাহাটী দুয়ো ঠাইৰে ঘটনাতে তেওঁলোকে যি স্পৰ্দ্ধা আৰু বে-পৰোৱা মনোভাৱৰ পৰিচয় দিছে সেইটো দেখি আচৰিত নহৈ নোৱাৰি। ঘটনাৰ গতি-গোত্ৰ দেখি অনুমান হয় যে সমাজৰ কিছুমান লোকে টকাৰ শক্তিৰ ওপৰত বৰ বেছি আস্থা স্থাপন কৰিবলৈ আৰম্ভ কৰিছে, আৰু ঠিক সেই একে অনুপাতেই সমাজৰ নৈতিক শক্তি আৰু আইনৰ প্ৰতি শ্ৰদ্ধা হেৰুৱাই পেলাইছে। এনে ধৰণৰ অসুস্থ মনোভাবক নিৰ্মম হাতেৰে ন[illegible] নিদিলে সমাজৰ পক্ষে সি ডাঙৰ বিপদৰ কাৰণ হৈ পৰিব। গুৱাহাটীৰ ঘটনাটো আন ফালৰ পৰাও বি[illegible]-যোগ্য। এই কথা সকলোৱেই জানে যে দীৰ্ঘ কাল ধৰি মাজে-সময়ে ঘটি থকা অবাঞ্ছিত সংঘৰ্ষ আৰু অৱদমিত পাৰস্পৰিক ঈৰ্ষা আৰু সন্দেহৰ ফলত গুৱাহাটীৰ ফাঁচী বজাৰৰ ব্যৱসায়ী সম্প্ৰদায় আৰু অন্যান্য থলুৱা লোকসকলৰ মাজৰ সম্পৰ্ক এতিয়াও আশানুৰূপভাৱে মধুৰ আৰু প্ৰীতিপূৰ্ণ হৈ উঠা নাই। ইয়াৰ নিশ্চয় নানা সামাজিক, অৰ্থনৈতিক আৰু মনস্তাত্বিক কাৰণ আছে। সেই কাৰণবোৰ বিশ্লেষণ কৰি তাক দূৰ কৰিবলৈ সকলোৱেই চেষ্টা কৰা উচিত। কিন্তু সম্প্ৰতি অৱস্থা এনে হৈ আছে যে বাহিৰত শান্ত আৰু স্বাভাৱিক যেন দেখালেও এই দুই সম্প্ৰদায়ৰ সম্পৰ্কৰ মাজত তলে তলে ফল্গু-ধাৰাৰ দৰে এটা ক্ষোভ আৰু ঈৰ্ষাৰ মনোভাৱ বিৰাজ কৰিছে। এনে অৱস্থাত ফিৰিঙতিৰ পৰাই খাণ্ডৱ দাহ হ'ব পাৰে, যা মতলব-বাজ মানুহে সুযোগ পালেই তেনে হোৱাবলৈ চেষ্টা কৰিব পাৰে। গতিকে কোনেও এনে কোনো কাম কৰা উচিত নহয়— যাৰ ফলত পাৰস্পৰিক ভুল বুজা-বুজিৰ সৃষ্টি হ'ব পাৰে, আৰু তাৰ ফলত ফিৰিঙতিৰ পৰা খাণ্ডৱ-দাহৰ সৃষ্টি হ'ব পাৰে। ভাৰতত এতিয়ালৈকে যিমানবোৰ সাম্প্ৰদায়িক সংঘৰ্ষ আৰু অশান্তি হৈছে, সেইবোৰ বিশ্লেষণ কৰি চালে দেখা যায় যে ব্যক্তি বিশেষৰ চিন্তাশূন্য নিৰ্বুদ্ধিতা বা একোটা অতি নগণ্য তুচ্ছ কথাৰ পৰাই ব্যাপক সামাজিক অশান্তিৰ সৃষ্টি হয়। ফাকুৱাৰ দিনা গুৱাহাটীত যি ঘটনা ঘটিছিল, সি আছিল স্পষ্টভাৱে প্ৰৰোচনামূলক। সুখৰ বিষয় যে সেইদিনা লগে লগেই একো ডাঙৰ দুৰ্ঘটনা নঘটিল। কিন্তু এই ঘটনাই বহুতৰ মনত পুঞ্জীভূত হৈ থকা অৱদমিত ক্ষোভ আৰু প্ৰতিশোধ-স্পৃহা বিন্দু পৰিমাণে হ'লেও বঢ়াই

তুলিছে। সামাজিক অশান্তিৰ কাৰণবোৰ এনেকৈয়ে তিল তিলকৈ বাঢ়ি থাকে। এনেকৈ পুঞ্জীভূত হৈ হৈ ভৱিষ্যতে সামান্যতম সুযোগ পালেই তাৰ যাতে বিস্ফোৰণ নঘটে— তাৰ একমাত্র উপায় হ'ল দোষীক বিচাৰি উলিয়াই উপযুক্ত শাস্তিৰ ব্যৱস্থা কৰা। ট্রেজেডীৰ অভিনয় চাই দৰ্শকৰ কেথাৰ্চিচ্ বা অন্তৰৰ পৰিশুদ্ধি ঘটাৰ দৰে দোষীয়ে শাস্তি পোৱা দেখিলেও আনবোৰ মানুহৰ অন্তৰৰ জ্বালা শাত পৰে আৰু মনৰ তলীত প্ৰতিশোধ-স্পৃহা উমি উমি জ্বলি নাথাকে। আইন-শৃংখলাৰ দায়িত্ব বহন কৰা পুলিচে এই সহজ সত্যটো উপলব্ধি কৰিবলৈ চেষ্টা কৰা উচিত। তেতিয়াহে তেওঁলোকে বহুতো সামাজিক অশান্তিৰ বীজ অঙ্কুৰিত নৌ হওঁতেই নষ্ট কৰিব পাৰিব।

গুৱাহাটীৰ পুলিচৰ সততা আৰু কাৰ্য্য-দক্ষতাৰ ওপৰত ৰাইজৰ আস্থা দিনে দিনে নোহোৱা হৈ আহিছে। আধুনিক মহানগৰবোৰত যি ধৰণৰ সংগঠিত অপৰাধ আৰু হিংসা কাৰ্য্যই নাগৰিকৰ জীৱন দুৰ্বিসহ কৰি তোলে, গুৱাহাটীত তেনে অৱস্থা এতিয়াও হোৱা নাই। তাৰ ঘাই কাৰণ এয়েই যে গুৱাহাটী এতিয়াও প্ৰকৃত অৰ্থত আধুনিক মহানগৰত পৰিণত হোৱা নাই। কিন্তু সংগঠিত অপৰাধ আৰু পাপ-চক্রবোৰ একেদিনাই গঢ়ি নুঠে। দীৰ্ঘ দিন ধৰি অতি ধীৰে ধীৰেহে সেইবোৰে গঢ়ি উঠিবলৈ সুবিধা পায়। এইবোৰ গঢ়ি উঠাত অন্যান্য নানা কথাৰ লগতে সহায় কৰে পুলিচৰ অকৰ্মণ্যতা, দুৰ্নীতি আৰু অনেক ক্ষেত্ৰত পৰোক্ষ সহযোগিতাই। গুৱাহাটী লাহে লাহে মহানগৰ হোৱাৰ পথত আগবাঢ়িছে। তাৰ লগে লগে যাতে ইয়াত আধুনিক মহানগৰসুলভ হিংসা, অপৰাধ আৰু অন্যান্য অসামাজিক কাৰ্য্যকলাপো বাঢ়ি নাযায়, তাৰ প্ৰতি সকলোৰে দৃষ্টি ৰখা উচিত। এইক্ষেত্ৰত পুলিচৰ দায়িত্বই সকলোতকৈ বেছি, কিন্তু দুখৰ বিষয় যে তেওঁলোকৰ সচেতনতাই আটাইতকৈ কম। এই কথা সকলোৱেই জানে যে গুৱাহাটীৰ চিনেমা হলবোৰত টিকটৰ অবাধ ক'লাবজাৰ চলিছে, প্ৰকৃত দামত টিকট কিনিবলৈ পোৱাটো আজিকালি বিৰলতম সৌভাগ্যই বুলি ক'ব পাৰি। কিন্তু বাতৰি কাকতকে আৰম্ভ কৰি নানা মহলৰ পৰা তীব্ৰ আপত্তি উঠা সত্বেও পুলিচ সমূলি নিৰ্বিকাৰ। কথাৰ গতি-গোত্ৰ দেখি সন্দেহ হয় যে পুলিচৰ পৰোক্ষ সহযোগিতাৰ অবিহনে টিকটৰ এই ক'লা বজাৰ চলি থাকিব নোৱাৰিলেহেঁতেন। পুলিচে এনেভাৱেই অপৰাধজীৱীৰ জন্ম আৰু বংশ বৃদ্ধিত সহায় কৰিছে। ওপৰত ফাকুৱাৰ দিনা ঘটা যি ঘটনাৰ উল্লেখ কৰা হৈছে, সেইদিনাও ফাঁচীবজাৰত এদল মানুহে মদ খাই উন্মত্ত হৈ উলঙ্গ নাৰীৰ মূৰ্ত্তি এটা লৈ অশ্লীল বাক্য উচ্চাৰণ কৰি কৰি শোভাযাত্ৰা কৰা বুলি অভিযোগ উঠিছে। ভাৰতবৰ্ষত এনেভাৱে উৎসৱৰ দিনতেই সাধাৰণতে সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হয়। কিন্তু সেইদিনা কিছুমান উন্মত্তপ্ৰায় মানুহৰ এনে আপত্তিজনক আচৰণত বাধা দিবলৈ ক'তো পুলিচৰ অস্তিত্ব দেখা নগৈছিল। পুলিচৰ এনে দায়িত্বহীনতা অমাৰ্জনীয়। দেশৰ চাৰিওফালে আজি নানা কাৰণত হিংসাৰ মনোভাৱ, অপৰাধ-প্ৰৱণতা আৰু আইনৰ শাসনৰ ওপৰত অনাস্থা লাহে লাহে বাঢ়ি আহিছে। অপেক্ষাকৃতভাৱে অসম এনে অৱস্থাৰ পৰা এতিয়াও মুক্ত হৈ আছে। কিন্তু পুলিচৰ সততা আৰু কাৰ্য্যদক্ষতা বৰ্তমানৰ গতিৰে হ্ৰাস পাই গৈ থাকিলে এই অশুভ প্ৰভাৱৰ পৰা অসমো বেছি দিন মুক্ত হৈ থাকিব নোৱাৰিব। গতিকে পুলিচৰ নিষ্ক্ৰিয়তা বা অকৰ্মণ্যতাৰ ফলত সমাজৰ নৈতিক অনুশাসন আৰু আইন-শৃংখলাৰ প্ৰতি বুঢ়া আঙুলি দেখুওৱা কোনো অপৰাধীয়েই যাতে শাস্তি নোপোৱাকৈ সাৰি যাব নোৱাৰে তাৰ কাৰণে অতি কঠোৰ ব্যৱস্থা লোৱা উচিত।

খেতিয়ক আৰু অসম চৰকাৰ ঃ এটি শিক্ষা

দেশত কৃষি-সংস্কাৰৰ ক্ষেত্ৰত সবাতোকৈ পিচপৰা ৰাজ্যকেইখনৰ ভিতৰত অসম অন্যতম। কেৱল আইন প্ৰণয়ন কৰিয়েই কৃষি-সংস্কাৰ সাধন কৰিব পৰা হ'লে কেতিয়াবাই কৃষি-বিপ্লৱ সম্পূৰ্ণ হ'লহেঁতেন আৰু কৃষি প্ৰধান দেশখনৰ বহুতো দুৰ্গতি দূৰ হ'লহেঁতেন। দুৰ্ভাগ্যক্ৰমে সেইবোৰ একোৱেই নহ'ল। অসম চৰকাৰে ১৯৬৮ চনত নতুন ভূমি-পট্টন নীতি ঘোষণা কৰে আৰু ইয়াৰ যোগেদি বহুতো মুখৰোচক ধ্বনি-প্ৰতিধ্বনিৰ বেলুন উৰুৱায়। যোৱা দুবছৰৰ বা-বতাহে সেই বেলুনবোৰ ফুটুৱায় পেলোৱাত এইবাৰ অসম চৰকাৰে চিলিং আইন অধিকতৰ "প্ৰগতিবাদী" কৰি আৰু লগতে অন্যান্য দুই-এক দৰ্শনীয় ব্যৱস্থা হাতত লৈ তথাকথিত ভূমি-সংস্কাৰৰ ক্ষেত্ৰত আগৰণুৱা বোলাবলৈ বিশেষ যত্নপৰ হ'ল। প্ৰধানকৈ ১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনৰ কথা ভাবিয়েই যে এই কাম কৰিবলৈ লোৱা হ'ল আৰু এই কামৰ অন্তৰালত আন্তৰিকতাতকৈ ৰাজনৈতিক ৰণ-কৌশলেহে যে আগ ঠাই লাভ কৰিলে সেই বিষয়ে অকণো সন্দেহ থাকিব নোৱাৰে। কিন্তু হাজাৰ হওক, প্ৰবাদত কোৱাৰ দৰে মোল্লাৰ দৌৰ মছজিদলৈকেহে, তাতোকৈ বেছি হ'ব নোৱাৰে। অসমৰ কৃষকৰ কল্যাণৰ হকে নিজকে সম্পূৰ্ণ উৎসৰ্গিত বুলি প্ৰথম সুযোগতে শপত খাই ঘোষণা কৰিবলৈ সদায় সাজু হৈ থকা অসম চৰকাৰৰ নেতাসকলে অলপতে এটি আমোদজনক ঘটনা ঘটাই খুঁটি পুতি নিজে উজুটি খোৱাৰ লগতে চৰকাৰী নেতাসকলৰ যথাৰ্থ মনোভাবৰ দুখজনক ছবিখনো বাৰুকৈয়ে দাঙি ধৰিলে। অসম চৰকাৰে অলপতে স্থিৰ কৰিলে যে একচনা মাটিৰ পট্টা ম্যাদী পট্টালৈ ৰূপান্তৰকৰণৰ বাবে পূৰ্বৰ মাচুল [illegible] বিঘাত পাঁচ টকাৰ ঠাইত এতিয়াৰ পৰা পঞ্চাশ টকালৈ বৃদ্ধি কৰিব। উল্লেখযোগ্য যে অসম প্ৰদেশ কংগ্ৰেছ কমিটী, ইয়াৰ কাৰ্য্যনিৰ্বাহক, অসম কংগ্ৰেছ বিধায়িনী দল অথবা ইয়াৰ কাৰ্য্যনিৰ্বাহক— এইবোৰ একোৰে পৰামৰ্শ গ্ৰহণ নকৰাকৈয়ে কেৱল চৰকাৰী পৰ্য্যায়ত মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰে আৰু তাক কাৰ্য্যকৰী কৰিবলৈ উঠি-পৰি লাগে। চৰকাৰী হিচাব মতেই অসমত প্ৰায় ৫০ লাখ বিঘা মাটি একচনা পট্টাত আছে। এইখিনি মাটি ম্যাদী পট্টাহীন কৰিলে চৰকাৰে ২৫ কোটি টকাৰ ৰাজহ পাব আৰু ৰাজ্যিক পৰিকল্পনাৰ বাবে এই অতিৰিক্ত ৰাজহ আহৰণ কৰাটো অপৰিহাৰ্য্য বুলি প্ৰধানকৈ বিবেচনা কৰিয়েই অসম মন্ত্ৰীসভাই আগ-পিচ নুগুণি এনে সিদ্ধান্ত গ্ৰহণ কৰে। এই অদ্ভুত প্ৰস্তাৱৰ বিৰোধিতা মন্ত্ৰীসভাৰ কোনো সদস্যই নকৰিলে।

অলপতে গুৱাহাটীত অনুষ্ঠিত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্য্যনিৰ্বাহকৰ সভাত শ্ৰীদেৱকান্ত বৰুৱা প্ৰমুখ্যে কেবাজনো শক্তিশালী সদস্যই চৰকাৰৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিলে আৰু এনে সিদ্ধান্ত কৃষকৰ স্বাৰ্থ আৰু কল্যাণৰ পৰিপন্থি বুলি ইয়াৰ কটু সমালোচনা কৰাৰ লগতে অবিলম্বে এই প্ৰস্তাৱ উঠাই ল'বলৈ চৰকাৰক দাবী জনালে। কাৰ্য্যনিৰ্বাহকৰ ভালেখিনি সদস্যই শ্ৰীদেৱকান্ত বৰুৱাৰ প্ৰতিবাদ সমৰ্থন কৰিবলৈ ভাল পোৱা নাছিল যদিও শ্ৰীবৰুৱাৰ বক্তব্যৰ মুকলি বিৰোধিতা কৰিব নোৱাৰা হ'ল। ইপিনে শ্ৰীবৰুৱাই লগে লগেই প্ৰদেশ কংগ্ৰেছৰ সভাপতিক এই মৰ্মে অনুৰোধ কৰিলে যে প্ৰস্তাৱটো অৰ্থাৎ তেওঁৰ নাকচকৰণৰ প্ৰস্তাৱটো ভোটত দিব লাগে আৰু কোনে কোনে পক্ষ লয় সেইটো কাৰ্য্য-বিৱৰণীত সুস্পষ্টভাৱে

লিপিবদ্ধ কৰিব লাগে। শ্ৰীবৰুৱাই লগতে এনেদৰে ক'লে যে কৃষকৰ কল্যাণৰ নামত সাত-শপত খাই থকা কোন কোন নেতাই এতিয়া ম্যাদীকৰণৰ মাচুল আগৰ ৫ টকাৰ পৰা ৫০ টকালৈ, অৰ্থাৎ একে কোবেই দহগুণ বৃদ্ধিৰ প্ৰস্তাৱৰ সমৰ্থন জনায় কৃষকৰ কল্যাণ সাধন কৰিব খোজে সেইটো লিখিতভাৱে ধৰি ৰখা হওক। শ্ৰীবৰুৱা প্ৰমুখ্যে সদস্যসকলৰ সতেজ প্ৰতিবাদত চৰকাৰৰ নেতাসকলৰ মুখৰ মাত হৰিল আৰু তেওঁলোকে বিনা বাক্য-ব্যয়ে চৰকাৰী প্ৰস্তাৱটোৰ নাকচকৰণৰ নিৰ্দেশত হয়ভৰ দিলে।

আমি এই কাৰণতেই এই ঘটনাৰ বিস্তৃত আলোচনা কৰিছোঁ যে ইয়াৰ সৈতে কেবাটাও গভীৰভাৱে তাৎপৰ্য্যপূৰ্ণ কথা জড়িত আছে। ইয়াৰ আগলৈকে অসম চৰকাৰৰ দ্বাৰা গৃহীত প্ৰস্তাৱ বা সিদ্ধান্ত কাহানিও প্ৰদেশ কংগ্ৰেছে এনেদৰে নাকচ কৰা নাই। ১৯৬৫-৬৬ চনৰ ৰাজ্যজোৰা দাৰুণ খাদ্যাভাৱৰ সময়ত অসম চৰকাৰৰ খাদ্যনীতি শোচনীয়ভাৱে ব্যৰ্থ হোৱাৰ পাচত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ গুৰুত্বপূৰ্ণ সভাত সৰহভাগ সদস্যই চৰকাৰী নীতিৰ তীব্ৰ সমালোচনা কৰিও আৰু তেনে নীতিৰ তৎকালিন পৰিবৰ্তন দাবী কৰিও অৱশেষত মুখ্যমন্ত্ৰী শ্ৰীচলিহাৰ বুজনিৰ ফলত চৰকাৰী নীতিকেই সঠিক আৰু শুদ্ধ বুলি গ্ৰহণ কৰি সকলো বিৰোধিতাক ধানখেৰৰ জুইৰ নামান্তৰ বুলি প্ৰতীয়মান কৰিছিল। তেল শোধনাগাৰ আন্দোলনৰ সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাত সকলোৱে চৰকাৰী নীতিৰ সমালোচনাত বহুতো তৰ্জন-গৰ্জন কৰিও পাচত মুখ্যমন্ত্ৰীৰ বুজনিৰ ওচৰত সকলোৱে সেও মানিছিল। ৰাজ্য পুনৰগঠন অথবা কংগ্ৰেছ দলৰ বিভাজন সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয় দুটাৰ ক্ষেত্ৰতো দলৰ চৰকাৰী ভাগটোৱে সংগঠনক নিজৰ সমৰ্থনত লৈ ফুৰাবলৈ সমৰ্থ হৈছিল। অসম কংগ্ৰেছৰ ইতিহাসত এই প্ৰথমবাৰৰ কাৰণে সংগঠনৰ দ্বাৰা গুৰুত্বপূৰ্ণ চৰকাৰী সিদ্ধান্ত নাকচ কৰা হৈছে আৰু সংগঠনৰ সদস্যৰ সতেজ যুক্তি-তৰ্কৰ ওচৰত চৰকাৰৰ নেতাসকলে পৰাজয় স্বীকাৰ কৰিছে। অসম কংগ্ৰেছৰ এই ৰূপান্তৰ নিতান্তই তাৎপৰ্য্যপূৰ্ণ। ক্ষমতাৰ মহিমাৰে সংগঠনক সদায় টানি লৈ ফুৰিব যে নোৱাৰি, প্ৰধান নীতি-নিৰ্দ্ধাৰণৰ ক্ষমতা প্ৰধানকৈ যে সংগঠনৰহে আৰু সদৌ শেষত মুখেৰে কৃষকৰ কল্যাণৰ কথা কৈ কাৰ্য্য ক্ষেত্ৰত চৰম ভণ্ডামীৰ আশ্ৰয় ল'বলৈ গ'লে, অসম চৰকাৰৰ নেতাসকলে যে ৰাইজৰ কথা বাদেই সংগঠনৰ ভিতৰতে এতিয়াৰ পৰা অত্যন্ত বেয়া বতৰ আৰু চৰম দুৰ্যোগৰ সন্মুখীন হ'ব লাগিব, এই কেই আষাৰ কথা ইয়াৰ দ্বাৰা প্ৰতীয়মান হৈছে। এতেকে ভূমি সংস্কাৰৰ নামত অসম চৰকাৰে অতদিনে গ্ৰহণ কৰি অহা ভণ্ডামি পৰিহাৰ নকৰিলে অচিৰেই যে অসমত প্ৰচণ্ড বিদ্ৰোহাগ্নি জ্বলি উঠিব পাৰে সেইটো চৰকাৰৰ নেতাসৱে এতিয়া পলমকৈ হ'লেও বুজি উঠিবনে?

সাপ্তাহিক নীলাচল, ৮০ সংখ্যা : ২৯ এপ্ৰিল, ১৯৭০

দেৱালৰ লিখন

প্ৰাচীন বেবিলনৰ পুৰোহিতসকলে ৰজা নেবুনিডাচক সিংহাসন-চ্যুত কৰিবলৈ মন কৰি পাৰস্যৰ ৰজা চাইৰাচক ৰজা হ'বলৈ আহ্বান কৰিলে। এই আহ্বান পাই চাইৰাচে সসৈন্যে বেবিলন আক্ৰমণ কৰিলে। কিন্তু তেওঁ যুদ্ধ কৰিব লগা নহ'ল। গুপ্ত শত্ৰুৱে ভিতৰৰ পৰাই নগৰৰ দুৱাৰ মুকলি কৰি দিলে, চাইৰাচৰ সৈন্য-বাহিনীয়ে বিনা-যুদ্ধে নগৰত প্ৰবেশ কৰিলে। সেই সময়ত নেবুনিডাচৰ পুতেক বেলশ্বাজ্জাৰ সবান্ধৱে এটা ভোজ খোৱাত ব্যস্ত আছিল। তেনে সময়তে তেওঁলোকৰ চকুৰ আগত হাত এখন ওলাই জুইৰ আখৰেৰে বেৰত এই ৰহস্যময় শব্দকেইটা লিখিলে : 'মেনে, মেনে, টেকেল, উফাৰ্ চিন'। শব্দ কেইটাৰ অৰ্থ বুজাই দিবলৈ বেল্শ্বাজ্জাৰে ডেনিয়েলক মাতি পঠালে। ডেনিয়েলে বেৰত জুইৰ আখৰেৰে লিখা শব্দকেইটাৰ অৰ্থ উদ্ধাৰ কৰি ক'লে : 'ঈশ্বৰে তোমাৰ ৰাজত্বৰ কাল উকলি যোৱা বুলি ঘোষণা কৰিছে আৰু তাক খটম কৰি দিছে; তেওঁ তোমাক তুলাচনীত জুখি চাইছে আৰু ওজনত কম বুলি প্ৰমাণ পাইছে; ঈশ্বৰে তোমাৰ ৰাজ্যখন মিডিচ আৰু পাৰ্চিয়ানসকলক দি দিছে।'

সেই ৰাতিয়েই বেলশ্বাজ্জাৰ নিহত হ'ল, নেবুনিডাচ বন্দী হ'ল, আৰু চাইৰাচে বেবিলনৰ সিংহাসনত আৰোহণ কৰিলে।

দাৰ্শনিক হেগেলে কৈছিল— 'ইতিহাসৰ পৰা আমি কেৱল এই কথাই শিকোঁ যে মানুহে ই[illegible] পৰা একো কথা নিশিকে।' কথাষাৰ সম্পূৰ্ণ মিছা নহয়। যুগ যুগ ধৰি প্ৰাচীন বেবিলনৰ এই ই[illegible] পুনৰাবৃত্তি হৈ আহিছে, কিন্তু স্বেচ্ছাচাৰী মদমত্ত, শাসক আৰু শোষকে জুইৰ আখৰেৰে লিখা দেৱালৰ এই লিখনলৈ যথাসময়ত দৃষ্টিপাত কৰা নাই। ফলত সেই জুয়েই তেওঁলোকক পুৰি ধ্বংস কৰিছে। ফৰাচী সম্ৰাট ষষ্ঠদশ লুই আৰু তেওঁৰ গৰবিনী ৰাণী আটনিয়েটে আমাত্য, মোচাহেব আৰু গণিকাৰে পৰিবেষ্টিত হৈ মহা-আড়ম্বৰেৰে ভোজ খাই থাকোঁতেই তেওঁলোকৰ কাল শেষ হোৱা বুলি ঘোষণা কৰি বেৰত এই জুইৰ লিখন দেখা গৈছিল, কিন্তু তেওঁলোকে সেই ফালে ভ্ৰূক্ষেপেই নকৰিলে। ফলত ফৰাচী বিপ্লৱৰ সৰ্বগ্ৰাসী জুইত পুৰি সকলোটি জাহ যাব লগা হ'ল। একে ঘটনা ঘটিছিল গৰ্বোদ্ধত জাৰ দ্বিতীয় নিকোলাচৰ ক্ৰেমলিনৰ ৰাজপ্ৰাসাদতো, চিয়াং কাইচেক আমোলৰ দুৰ্বিনীত চীনা ভূ-স্বামী আৰু অভিজাতসকলৰ ৰক্ত-পঙ্কৰ ভেটিত নিৰ্মিত সুৰম্য ভৱনসমূহতো। ৰাজপথৰ ক্ষুধাতুৰ জনতাৰ মৰ্মভেদী আৰ্তনাদক তল পেলাই তেওঁলোকৰ ঘৰে ঘৰে উচ্ছ্বসিত হৈ উঠিছিল ভোগ-বিলাসৰ অট্টহাস্য, ফলত দেৱালৰ অগ্নিক্ষৰা সতৰ্কবাণী শুনিবলৈ কাৰো সময় নহ'ল। তাৰ পৰিণাম কি হ'ল সেই কথা কাকো নতুনকৈ কোৱাৰ নিশ্চয় প্ৰয়োজন নাই। সি আজি তেজৰ আখৰেৰে লিখা এক ক্ষমাহীন ইতিহাস।

চকুৰে চাই থাকোঁতেই ভাৰতৰ সৰ্বত্ৰ আজি হিংসাৰ জুই জ্বলি উঠিছে। ই আজি আৰু কেৱল বিচ্ছিন্ন আৰু বিক্ষিপ্ত কিৰিভতি নহয়। অতি দ্ৰুতগতিৰে ই দাবানলৰ ৰূপ লৈছে। সকলো শান্তিকামী মানুহৰ দৰেই আমিও এই হিংসা কাৰ্য্যক সমৰ্থন নকৰোঁ। অতি সোনকালে আমি ইয়াৰ অৱসান হোৱাটো বিচাৰোঁ। আমি বিচাৰোঁ যে শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক উপায়েৰে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ সংগ্ৰাম পৰিচালিত হওক,

সৰ্বপ্ৰকাৰ শোষণৰ অন্ত পেলোৱা হওক মানবীয় উপায়েৰে। কিন্তু কেৱল জানো মুখৰ কথাতেই বা মনেৰে ইচ্ছা কৰিলেই এই দাবানল আপোনা-আপুনি নুমাই যাব? উত্তেজিত জন-সমুদ্ৰৰ যি ক্ৰুদ্ধ জোৱাৰ প্ৰবল বেগেৰে আগবাঢ়ি আহিছে, কেনিউটৰ দৰে পাৰত থিয় হৈ হুকুম দিলেই সি জানো লগে লগে থামি যাব? হিংসাৰ চিন্তা কৰা উচিত, কিন্তু তাৰ লগে লগে কিয় এই হিংসাই অবাধ্য ফেঁটি সাপৰ দৰে ফোঁচ কৰি মূৰ দাঙি উঠিছে— তাৰ কাৰণ বিচাৰি উলিয়াবলৈকো চেষ্টা কৰা উচিত। দেশৰ হাজাৰ হাজাৰ মানুহ আজি যি উত্তেজনাত অন্ধ হৈ হিংসাৰ ৰক্তাক্ত পথলৈ দৌৰি গৈছে, তাৰ মূল কাৰণ মাত্ৰ এটাই ঃ তেওঁলোকৰ ধৈৰ্য্যচ্যুতি ঘটিছে। দেশৰ কৰ্ণধাৰ সকলে স্বাধীনতাৰ পাচত সম্পূৰ্ণ কুৰিটা বছৰ মানুহৰ দুখ-দুৰ্গতি দূৰ কৰিবলৈ এক অভূতপূৰ্ব আৰু অখণ্ড সুযোগ পাইছিল, সেই সুযোগ তেওঁলোকে গ্ৰহণ নকৰিলে। দেশৰ কোটি কোটি মানুহ যেতিয়া দাৰিদ্ৰ্য আৰু যন্ত্ৰণাৰ অতল অন্ধকাৰ গহ্বৰলৈ এখোপ এখোপকৈ উঠি গৈ আছিল অপৰিমেয় ভোগ-বিলাসৰ গগন-চুম্বী সুৰম্য সৌধৰ শীৰ্ষ চূড়ালৈ। দেশৰ মানুহে যেতিয়া যন্ত্ৰণাত আৰ্তনাদ কৰি উঠিছিল, তেওঁলোকে অট্টহাস্য কৰি উঠিছিল ক্ষমতাৰ নিচাত। সামাজিক ন্যায়ৰ দাবীত দেশৰ মানুহে ৰাজপথত বুকু ফাটি যোৱাকৈ চিঞৰি উঠিছিল, তেওঁলোকে তাৰ জবাব দিছিল পুলিচৰ লাঠি, গুলী আৰু বেয়নেটেৰে। দেশৰ মানুহে যেতিয়া বিচাৰিছিল এমুঠি ভাত আৰু এখন কাপোৰ, তেওঁলোকে বিচাৰিছিল আৰু ডাঙৰ ঘৰ আৰু দামী গাড়ী আৰু ডাঙৰ মন্ত্ৰীপদ। ভাৰতৰ নতুন শাসকসকলে যোৱা কুৰি বছৰে দেশৰ কাৰণে তেওঁলোকে অতীতত কৰা ত্যাগক মূলধন কৰি যি জঘন্য ব্যৱসায় কৰিছে, পৃথিৱীৰ ইতিহাসতেই তাৰ বোধহয় তুলনা নাই। তাতোকৈ আচৰিত কথা আজি জোৰ পুৰি হাত পাবৰ সময়তো কাৰো চেতনা হোৱা নাই, ভাৰতৰ প্ৰতিখন ৰাজ্যতে আজি চলিব ধৰিছে এম. এল. এ. আৰু এম. পি.ৰ মূৰ কিনা-বেচাৰ অবিশ্বাস্য প্ৰতিযোগিতা। মানুহৰ মূৰৰ এনে বৃহৎ নীলাম-বজাৰ ইতিহাসৰ কোনো যুগতে কোনো দেশতে ইমান ব্যাপক ভিত্তিত বোধহয় অনুষ্ঠিত হোৱা নাছিল।

আমি এতিয়াও আশা কৰিছো যে শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক উপায়েৰেই ভাৰতবৰ্ষত সামাজিক ন্যায় প্ৰতিষ্ঠা হ'ব। সি কেৱল বাঞ্ছনীয়েই নহয়, সম্ভৱো। কিন্তু তাৰ কাৰণে দেশৰ মদমত্ত শাসকসকলৰ দেৱালৰ লিখনলৈ চকু দিবলৈ সময় হ'ব লাগিব। দেশত আজি যি ব্যাপক হিংসাই মূৰ দাঙি উঠিছে, সি আচল বেমাৰ নহয়, বেমাৰৰ লক্ষণহে। আচল বেমাৰটো হ'ল শোষণ আৰু দাৰিদ্ৰত জৰ্জৰিত হৈ থকা ধৈৰ্য্যচ্যুত মানুহৰ অপৰিমেয় হতাশা আৰু যন্ত্ৰণা। গতিকে এঁচপিৰিন খাই মূৰৰ বিষ দমাই থোৱাৰ দৰে আইন কৰি উগ্ৰপন্থী অনুষ্ঠানবোৰ নিষিদ্ধ কৰি দিলেই বা তেওঁলোকক জেলত ভৰালেই এই কালান্তক ব্যাধি আৰোগ্য নহ'ব; স্থায়ী আৰু সম্পূৰ্ণ শান্তি প্ৰতিষ্ঠাৰ কাৰণে সমাজৰ দেহৰ পৰা এই বেমাৰৰ বীজ সমূলে নিৰ্মূল কৰিব লাগিব। তাৰ কাৰণে এটাই উপায় আছে। সেইটো হৈছে— সৰ্বশক্তি প্ৰয়োগ কৰি আৰু দ্ৰুততম গতিৰে ভাৰতবৰ্ষৰ পৰা দাৰিদ্ৰ্য আৰু শোষণ দূৰ কৰিবলৈ চেষ্টা কৰা। বহু বছৰ ধৰি ফোপোলা শ্লোগান আৰু মিছা আশ্বাসেৰে এই দেশৰ মানুহক নিচুকাই ৰখা হৈছিল; কিন্তু এতিয়া আৰু এদিনৰ কাৰণেও সেইটো কৰা সম্ভৱ নহ'ব। তেওঁলোকে শোষণৰ ফাঁকি ধৰা পেলাইছে, এতিয়া কেৱল মুখৰ কথাতেই ভোল যাবলৈ তেওঁলোক আৰু ৰাজী নহয়।

ভাৰতবৰ্ষই আজি সামাজিক সংগ্ৰামৰ এনে এটা পৰ্য্যায়ত উপনীত হৈছে যে অতি সোনকালেই সকলোৰে এটা পক্ষ ল'বলৈ আগবাঢ়ি আহিব লাগিব। সকলোৰে কাৰণেই ই হ'ব এটা ভীষণ অগ্নি-পৰীক্ষাৰ সময়। এই পৰীক্ষাত নীৰৱ হৈ থাকিব পাৰিব কেৱল সেইসকল লোক— যিসকল আদৰ্শহীন আৰু কাপুৰুষ।

সাপ্তাহিক নীলাচল, ৮৫ সংখ্যা : ৩ জুন, ১৯৭০

অসমৰ ৰাজধানী স্থানান্তৰ

অসমৰ ৰাজধানী চিলঙৰ পৰা ভৈয়ামলৈ নমোৱাৰ বাবে অসমৰ ৰাইজে অতদিনে কৰি অহা দাবী সম্পূৰ্ণ ন্যায়সঙ্গত, বিজ্ঞানসন্মত আৰু গণতান্ত্ৰিক। এই কথা কোৱাই বাহুল্য যে চিলঙত ৰাজধানী থকাৰ ফলত ৰাজ্যখনৰ বিপুল সংখ্যক জনসাধাৰণ যেনেকৈ ৰাজ্যৰ প্ৰশাসনীয় কেন্দ্ৰৰ পৰা সকলোপিনে আঁতৰি আছে, ঠিক তেনেকৈয়ে ৰাজ্যৰ প্ৰশাসন কেন্দ্ৰটোৱেও জনসাধাৰণৰ মূল সুঁতিটোৰ পৰা সম্পূৰ্ণ আঁতৰি থাকিবলৈ অবাধ সুযোগ পাইছে। ফলত অসমৰ প্ৰশাসন নানা দোষ-দুৰ্বলতাৰে উপচি পৰিছে আৰু ইয়াৰ জনসংযোগ সম্প্ৰতি অত্যন্ত ক্ষীণ হৈ পৰিছে। ৰাজধানীখন ৰাজ্যৰ যিমান দূৰ সম্ভৱ মধ্যস্থানত স্থাপিত হোৱা, ৰাজধানী তথা প্ৰশাসন কেন্দ্ৰটোৰ সৈতে ৰাইজৰ ওতঃপ্ৰোত সম্পৰ্ক হোৱা, অসমৰ বিধান-পালিকাৰ কেন্দ্ৰৰ সৈতে ৰাইজৰ নিত্য-সংযোগ প্ৰতিষ্ঠিত হোৱা, প্ৰশাসন-কেন্দ্ৰই ৰাইজৰ ন্যায্য আশা-আকাংক্ষা, অভাৱ-অভিযোগ আৰু ভাব-আৱেগৰ সৈতে ঘনিষ্ঠতম সম্পৰ্ক ৰক্ষা কৰা আৰু এই সকলোবোৰ কোনো অপচয়, অতিৰিক্ত বা অপৰিমিত ব্যয় নোহোৱাকৈ সাধিত হোৱাটো যিসকলে আন্তৰিকভাৱে কামনা কৰে, সেইসকলে একে আষাৰে ক'ব লাগিব যে চিলঙৰ পৰা ৰাজধানী ভৈয়ামলৈ ননমোৱা পৰ্য্যন্ত ইয়াৰ একোৱেই সম্ভৱ নহয়। চিলং বুলিয়েই চৰকাৰী কৰ্মচাৰীসকলৰ বিশেষ ক্ষতিপূৰণ বানচৰ বাবদ বছৰি প্ৰায় ২০/৩০ লাখ টকা, শীতকালীন বানচ বুলি বছৰি প্ৰায় ২০/২৫ লাখ টকা, চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল[illegible] শীতকালীন সাজ-পোছাকৰ বাবদ বছৰি প্ৰায় ১০/১২ লাখ টকা, কাৰ্য্যালয়বোৰত শীতকালত [illegible] জ্বলোৱাৰ বাবদ বছৰি প্ৰায় ৭/৮ লাখ টকা, ৰাজধানীৰ বিষয়াবৰ্গ আৰু কৰ্মীসকল সঘনে ভৈয়ামলৈ নামি থকাৰ বাবদ বছৰি প্ৰায় ২০/৩০ লাখ টকা আৰু ৰাজ্যৰ অন্যান্য ঠাইৰ বিষয়া-কৰ্মচাৰীসকল সঘনে চিলঙলৈ উঠাৰ বাবে বছৰি হোৱা প্ৰায় ২০/৩০ লাখ টকাৰ ব্যয়ৰ বৃহদাংশই নিশ্চয় ৰাহি হ'ব চিলঙৰ পৰা ৰাজধানী নামিলেহে। ৰাজধানীৰ ৰাজ্য চৰকাৰৰ বিভাগবোৰৰ প্ৰায় আধাই চলি আছে ভাৰা ঘৰত। একমাত্ৰ ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডেই বছৰি ৫০ হাজাৰ টকাৰ অধিক ঘৰ ভাৰা হিচাবে ভৰি আছে। এতেকে, অন্য সকলো যুক্তি খণ্ডেকলৈ আঁতৰাই থৈ হ'লেও একমাত্ৰ আৰ্থিক বিচাৰতে যে অসমৰ ৰাজধানী চিলঙৰ পৰা নমোৱাটো একান্ত বিজ্ঞানসন্মত হ'ব সেই বিষয়ে অকণো সন্দেহ নাই। তদুপৰি চিলঙত ৰাজধানী থকাৰ ফলত যি আশ্চৰ্য্যজনক স্থবিৰতা আৰু শিথিলতাই সমগ্ৰ প্ৰশাসন যন্ত্ৰটোকে গিলি পেলাইছে তাৰ পৰা উদ্ধাৰ পাবলৈ হ'লেও অসমৰ ৰাজধানী চিলঙৰ পৰা নামিবই লাগিব। এই সকলোবোৰৰ উপৰিও ৰাজধানীৰ চৰকাৰী বিভাগসমূহত নিযুক্তিৰ ক্ষেত্ৰতো থলুৱা লোকৰ ন্যায্য প্ৰতিনিধিত্ব সাব্যস্ত কৰিবলৈ হ'লে ৰাজধানী চিলঙৰ পৰা নমোৱাটো অপৰিহাৰ্য্য।

মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাই সিদিনা ৰাজ্য বিধান সভাত এই বুলি ঘোষণা কৰিছে বুলি প্ৰকাশ যে চিলঙত মেঘালয় আৰু অসমৰ উমৈহতীয়া ৰাজধানী থকাৰ ফলত একো প্ৰশাসনীয় অসুবিধাই দেখা দিয়া নাই আৰু সেয়ে চৰকাৰে ভৈয়ামলৈ ৰাজধানী নমোৱাৰ কথা সম্প্ৰতি চিন্তা কৰা নাই। শ্ৰীচলিহাই লগতে ইয়াকো কৈছে বুলি প্ৰকাশ যে অসমৰ ভৈয়ামৰ জিলাৰ ৰাইজৰ দৈনন্দিন কাম-কাজৰ সম্পৰ্ক থকা

কাৰ্য্যালয়সমূহ প্ৰয়োজন হ'লে চিলঙৰ পৰা স্থানান্তৰ কৰা হ'ব। লগতে অসম পুনৰগঠন আইনৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰীয়ে কোৱা বুলি প্ৰকাশ যে উক্ত আইনত চিলঙেই অসম আৰু মেঘালয়ৰ উমৈহতীয়া ৰাজধানী থাকিব বুলি স্থিৰ হৈছে যেতিয়া ৰাজধানী স্থানান্তৰৰ অসুবিধা আছে। চৰকাৰৰ এই দৃষ্টিভংগী অসমৰ জনসাধাৰণৰ বাবে চৰম হতাশজনক। প্ৰশাসনীয় সুবিধা-অসুবিধাৰ কথা নেতাসকলে হেলিকপ্টাৰেৰে বানপানীৰ ধ্বংসলীলা চোৱাৰ দৰে ওপৰৰ পৰা ওপৰে ওপৰে চোৱাতকৈ জনসাধাৰণৰ ন্যায্য ভাব-অনুভূতিৰ মাধ্যমেৰে চোৱাটোহে উচিত হ'লহেঁতেন। ৰাজধানীৰ আমোলাতন্ত্ৰৰ গুৰিয়ালসকলে যে স্থূল বিচাৰ-বুদ্ধিৰে জন-সংযোগ অথবা ৰাইজৰ সুবিধা-অসুবিধাৰ কথা ভাবে বা চিৰদিন ভাবি আহিছে, সেই কথা এক বিচাৰ-বুদ্ধিৰ নাগপাশত এতিয়া অসম চৰকাৰৰ গুৰিয়ালসকলো নিসহায়ভাৱে সোমাই পৰাটো অৱশেষত পুতৌ লগাকৈ প্ৰতিপন্ন হোৱা নাইনে?

ভৈয়ামৰ জিলাৰ ৰাইজৰ সম্পৰ্ক থকা আৰু এইসকলৰ লগত সম্পৰ্ক নথকা কাৰ্য্যালয় বুলি প্ৰশাসন-কেন্দ্ৰটোক থিতাতে দুভাগ কৰাৰ যি অপচেষ্টা চলিছে ইয়াৰ দ্বাৰা আওপকীয়াকৈ চৰকাৰে এতিয়া ৰাজধানী স্থানান্তৰৰ বিষয়টো তাহানিৰ ৰাজ্যভাষাৰ বিষয়টোৰ দৰে চৰম উপ-আঞ্চলিকতাবাদী আৰু বিভেদকামী বাধা-বিৰোধিতা আৰু বিতৰ্কৰ বিষয়বস্তু হিচাবে বিপদজ্জনকভাবে মূৰ দাঙি উঠাৰ বাবে ইন্ধন যোগাইছে বুলিব পাৰি। চৰকাৰৰ এই ইঙ্গিত অত্যন্ত দুৰ্ভাগ্যজনক। দ্বিতীয়তে চৰকাৰৰ দৃষ্টিভঙ্গীৰ মাজত দেখাদেখ স্ববিৰোধিতা প্ৰকাশ পাইছে। আমি জনা মতে অসম চৰকাৰে কেতিয়াবাই ৰাজধানী স্থানান্তৰৰ বিষয়টো পৰ্য্যালোচনা কৰি ভৈয়মাত স্থান নিৰ্ণয়ৰ বাবে সচিব পৰ্য্যায়ৰ এখন কমিটী গঠন কৰি দিছিল আৰু সেই কমিটীয়ে বিষয়টো নিষ্পত্তি কৰিব নোৱৰাত মন্ত্ৰীসভাৰ এক কমিটীৰ হাতত বিষয়টো অৰ্পিত হৈছিল। চিৰাচৰিত দ্বিধা আৰু শিঠিলতাৰ বাবেই মন্ত্ৰীসভাই এতিয়াও এই বিষয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাই। এনে ক্ষেত্ৰত চৰকাৰে বিষয়টোৰ পৰা এতিয়া এনেদৰে পুলুকা মাৰিব খোজাটো আন যি হওক নহওক অন্ততঃ গণতন্ত্ৰসন্মত হ'ব নোৱাৰে। বিধান সভাৰ চলিত অধিৱেশনত চৰকাৰী পক্ষ আৰু বিৰোধী পক্ষৰ লোকে এনে সুৰতে আৰু সমান দৃঢ়তা আৰু স্পষ্টতাৰে ৰাজধানীৰ স্থানান্তৰ দাবী কৰিছে। তদুপৰি চৰকাৰে ইতিমধ্যেই ভালেমান কাৰ্য্যালয় গুৱাহাটীলৈ নমোৱাই ৰাজধানী স্থানান্তৰৰ অসংলগ্ন পদ্ধতি এটা আৰম্ভ কৰিছেই। এতিয়া অসম পুনৰগঠন আইনৰ ধাৰা সুঁৱৰি ৰাজধানী যাউতিযুগীয়াকৈ চিলঙতে ৰখা হ'ব বুলি চৰকাৰে অদ্ভুত দৃষ্টিভঙ্গী গ্ৰহণ কৰিবলৈ হ'লে কালক্ৰমত বা অচিৰেই একালৰ বৃহত্তৰ অসম এতিয়াৰ অসম, নগাৰাজ্য, মেঘালয় আৰু নেফাত খণ্ড-বিখণ্ড হোৱাৰ দৰেই অসমৰ ৰাজধানীও (১) ভৈয়ামৰ ৰাইজৰ বাবে ৰাজধানী (২) অন্যান্য অংশৰ ৰাইজৰ বাবে ৰাজধানী আৰু (৩) উমৈহতীয়া ৰাজধানী হিচাবে খণ্ড-বিখণ্ড ৰূপত প্ৰতিষ্ঠিত হোৱাৰ দুৰ্ভাগ্যজনক পৰিণতিৰে নিষ্পত্তি হ'বলৈ লাগিব। অন্ততঃ চৰকাৰৰ শেহতীয়া দৃষ্টিভঙ্গীৰ যুক্তিগত পৰিণতি ইয়াতোকৈ অন্য একো হ'ব নোৱাৰে। নিশ্চয় অসমৰ মুখ্যমন্ত্ৰী, অসম চৰকাৰ আৰু অসমৰ ৰাইজে এনে তিনিঠেঙীয়া বা চাৰিঠেঙীয়া ৰাজধানী নিবিচাৰে বা এনে দুৰ্ভাগ্যজনক পৰিণতি কামনা নকৰে।

"খণ্ডিত" ৰাজধানী গুৱাহাটীলৈ নমোৱাৰ বাবে প্ৰয়োজনীয় ব্যয় বহন কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰৰ ওচৰত প্ৰস্তাৱ দিয়াৰ যি কথা কোৱা হৈছে সেই সম্পৰ্কে সাধাৰণ বিচাৰ-বুদ্ধিৰে ইয়াকেই মাথোন ক'ব পাৰি যে এই সূৰ্য্যৰ তলৰ কোনো চৰকাৰেই কাকো "খণ্ডিত" ৰাজধানী নিৰ্মাণৰ বাবে ধন দিব নোৱাৰে বা দিয়া অনুচিত আৰু দিলেই এই ধন ব্যয় নহৈ অপচয়হে হ'ব। কিছুমান কাৰ্য্যালয় গুৱাহাটীত নামমাত্ৰ

ৰাখি থৈ বাকী সোপাকে চিলঙত গাপ দি থোৱাৰ ফলত অতিৰিক্ত ব্যয় তথা অপচয় আহি পৰাৰ উপৰিও দৈনন্দিন কাম-কাজত সুবিধাতকৈ অসুবিধাহে বাঢ়িব। তদুপৰি ৰাজধানী নিৰ্মাণ নিশ্চয় বিয়াঘৰীয়া ৰভা-নিৰ্মাণ নহয় যে কোনোমতে কাম চলিলেই হৈ যাব; ই এটা অখণ্ডিত স্থায়ী ব্যৱস্থা আৰু সেয়ে ইয়াৰ এটা অখণ্ডিত, স্থায়ী আৰু পূৰ্ণাঙ্গ প্ৰকল্প হোৱা উচিত। অসম চৰকাৰে দুখীয়া ৰাইজৰ ধন কিছুমান অস্থায়ী প্ৰকল্পত পানী কৰক বা কেন্দ্ৰীয় চৰকাৰে খণ্ডিত, অস্থায়ী আৰু তদৰ্থ ব্যৱস্থাৰ বাবে অসমক ধন দিয়ক, এনে যুক্তি আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰোঁ আৰু ৰাইজেও নোৱাৰে। তদুপৰি অসমৰ ৰাজধানী ক'ত হ'ব সেই বিষয়টো কেন্দ্ৰক নিষ্পত্তি কৰিবলৈ দিয়াটো বৰ্তমানৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত সমৰ্থন যোগ্যতা নহয়েই, সাধাৰণ বিচাৰতো গণতন্ত্ৰ-সম্মত হ'ব নোৱাৰে। সেয়ে আমাৰ সুস্পষ্ট আৰু দৃঢ় দাবী ঃ অসম চৰকাৰে অলপো কাল ব্যয় নকৰাকৈ অসমৰ ৰাজধানী চিলঙৰ পৰা ভৈয়ামলৈ নমোৱাৰ বাবে চূড়ান্ত সিদ্ধান্ত ততালিকে গ্ৰহণ কৰক আৰু তাকে কৰোঁতে চৰকাৰে সস্তীয়া ভাবপ্ৰৱণতা, আমোলাতন্ত্ৰৰ চল-চক্ৰান্ত, ন্যস্ত স্বাৰ্থৰ কূট-কৌশল আৰু কেন্দ্ৰৰ অবাঞ্ছিত হেঁচা সাহ আৰু সততাৰে আঁতৰ কৰক।

অসমৰ ন-অসমীয়া মুছলমান

ভাৰত আৰু পাকিস্তানে স্বাধীনতা লাভ কৰাৰ আগতেই পূৰ্ব-বংগৰ পৰা যিসকল মুছলমান লোক আহি অসমত স্থায়ীভাৱে বসতি স্থাপন কৰিছিল, সেইসকল লোকক কেইমাহমানৰ আগতে সাপ্তাহিক নীলাচলৰ এটা সম্পাদকীয় প্ৰবন্ধত 'পমুৱা মুছলমান' বুলি উল্লেখ কৰা হৈছিল। অৱশ্যে 'পমুৱা' শব্দটোৰ দ্বাৰা এই কথা বুজাব খোজা হোৱা নাছিল যে এই লোকসকলে অসমত এতিয়াও পাম পাতিহে আছে, অৰ্থাৎ তেওঁলোক এতিয়াও অসমৰ স্থায়ী বাসিন্দাত পৰিণত হোৱা নাই। শ্ৰীমতী ইন্দিৰা গান্ধীৰ অনুগামীসকলে কংগ্ৰেছৰ এখন বিশেষ অধিৱেশনৰ কাৰণে মাত্ৰ এবাৰহে তলব দিছিল, কিন্তু তেওঁলোকৰ নামৰ আগত বহু দিনলৈকে 'তলবী' বিশেষণটো বৈ গ'ল। তেনেকুৱা আৰু বহুত উদাহৰণ আছে। পূৰ্ব বঙ্গৰ পৰা অহা মুছলমানসকলৰ নামৰ আগত ঠিক তেনে অৰ্থতহে 'পমুৱা' শব্দটো ব্যৱহাৰ কৰা হৈছিল। কিন্তু সেই বিশেষ সম্পাদকীয় প্ৰবন্ধটো প্ৰকাশ হোৱাৰ লগে লগেই আমি এই সম্প্ৰদায়ৰ বহুতো লোকৰ পৰা অজস্ৰ চিঠি পাবলৈ ধৰিলোঁ। এই চিঠিবোৰ লিখিছিল গাঁৱৰ খেতিয়কৰ পৰা আৰম্ভ কৰি কলেজৰ ছাত্ৰ আৰু শিক্ষকলৈকে, বেপাৰীৰ পৰা আৰম্ভ কৰি উকীললৈকে। সকলোৱে এটাই মাত্ৰ আপত্তি যে অসমৰ এই স্থায়ী বাসিন্দাসকলক 'পমুৱা' বুলি অভিহিত কৰি তেওঁলোকৰ প্ৰতি অবিচাৰ কৰা হৈছে। অসমীয়া সমাজৰ লগত একাত্মতা অনুভৱ কৰাৰ ক্ষেত্ৰত ইয়াৰ দ্বাৰাই তেওঁলোকক বাধা দিয়া হৈছে। তেওঁলোকৰ মনত এটা আৱেগিক নিৰাপত্তাহীনতা আৰু অনিশ্চয়তাৰ ভাব সৃষ্টি কৰা হৈছে। 'পমুৱা' শব্দটোৰ বিৰুদ্ধে আপত্তি তুলি বিভিন্ন পত্ৰ-লিখকে কেতবোৰ বিকল্প নামৰো প্ৰস্তাৱ কৰিলে। এনেকুৱা সকলোবোৰ বিকল্প প্ৰস্তাৱ চালি-জাৰি চাই অৱশেষত দেখা গ'ল যে বেছি ভাগ পত্ৰ-লিখকেই এটা নামৰ ক্ষেত্ৰত একমত পোষণ কৰিছে। সেই নামটো হ'ল— 'ন-অসমীয়া মুছলমান'।

ই এটা অতি তাৎপৰ্য্যপূৰ্ণ কথা। পূৰ্ববঙ্গৰ পৰা মাত্ৰ ত্ৰিশ-চল্লিশ-পঞ্চাশ বছৰৰ আগতে অসমলৈ অহা এই লোকসকলৰ সংখ্যা কেৱল শ শ বা হাজাৰ হাজাৰ নহয়, তেওঁলোকৰ সংখ্যা লাখ লাখ। এই লাখ লাখ মানুহে পূৰ্বৰ সকলো সাংস্কৃতিক আৰু ভাষিক পৰিচয় মোহাৰি নিশ্চিহ্ন কৰি নিজকে নতুনকৈ অসমীয়া বুলি পৰিচয় দিব খুজিছে। তেওঁলোকৰ এই নতুন পৰিচয়ৰ ভিত্তি কি? ইয়াৰ একমাত্ৰ ভিত্তি হ'ল অসমীয়া ভাষা। তেওঁলোক 'ন-অসমীয়া মুছলমান'— কাৰণ অসমীয়া ভাষাক নিজৰ ভাষাৰূপে গ্ৰহণ কৰি তেওঁলোক উদাৰ অসমীয়া সমাজৰ নৱাগত সদস্য ৰূপে ভুক্ত হৈছে। কেৱল পূৰ্ববঙ্গৰ মুছলমানসকলেই অসমত স্থায়ীভাৱে বাস কৰিবলৈ অহা নাই। ৰাজস্থানৰ মাৰোৱাৰীৰ পৰা আৰম্ভ কৰি বঙ্গদেশৰ হিন্দু-বাঙালীলৈকে ভাৰতৰ বিভিন্ন প্ৰান্তৰ বহুতো মানুহেই অসমত স্থায়ীভাৱে বসতি স্থাপন কৰিছে আৰু অসমৰ অন্নেৰে প্ৰতিপালিত হৈছে। কিন্তু তেওঁলোকৰ কোনেও অসমীয়া ভাষাক আপোন বুলি গ্ৰহণ কৰি নিজকে 'ন-অসমীয়া' বুলি পৰিচয় দিবলৈ আগবাঢ়ি অহা নাই। তাৰ পৰিবৰ্তে বৰং অসমৰ প্ৰতিখন চহৰতে (এতিয়া গাঁৱতো) মাৰোৱাৰী হিন্দী স্কুল, বাঙালী স্কুল আদিহে গজি উঠা আমি দেখিবলৈ পাইছোঁ। অথচ তেওঁলোকৰ সংখ্যা এই 'ন-অসমীয়া' মুছলমানসকলতকৈ বহুগুণে কম। লাখ লাখ মানুহৰ এনে এটা বিশাল জন-গোষ্ঠীয়ে এনেভাৱে

নিজৰ ভাষা স্বেচ্ছাই পৰিত্যাগ কৰি আৰু নিজৰ সাংস্কৃতিক পৰিচয় মোহাৰি পেলাই নতুন এটা ভাষা-সংস্কৃতিক আপোন বুলি গ্ৰহণ কৰাৰ উদাহৰণ বিশ্বৰ ইতিহাসতেই বিৰল বুলি ক'ব পাৰি। অসমীয়া ভাষাৰ ইতিহাসত আৰু এবাৰ মাত্ৰ এনে এটা ঘটনা ঘটিছিল— যেতিয়া বহিৰাগত বিজয়ী আহোমসকলে ৰজা হৈয়ো নিজৰ ভাষা স্বেচ্ছাই পৰিত্যাগ কৰি প্ৰজাৰ ভাষা গ্ৰহণ কৰিছিল। সংখ্যাত তেওঁলোক অকণীয়া আছিল, কিন্তু সেই অভাৱ পূৰণ কৰিছিল তেওঁলোকৰ ৰাজনৈতিক ক্ষমতাই। প্ৰজাৰ ওপৰত তেওঁলোকৰ ভাষা বলেৰে জাপি দিব নোৱাৰিলেও অন্ততঃ নিজে এটা সুকীয়া ভাষিক গোট হিচাবে আহোমসকলে নিজৰ অস্তিত্ব বজাই ৰাখিব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি তেওঁলোকে প্ৰজাৰ ভাষা গ্ৰহণ কৰিলে আৰু দীৰ্ঘ ছয় শতাব্দী কাল ধৰি সেই ভাষাক তেওঁলোকে এনেভাৱে পৃষ্ঠপোষকতা দিলে— যাৰ অবিহনে অসমীয়া ভাষাৰ বৰ্তমানৰ বিকাশ হয়তো কেতিয়াও সম্ভৱ নহ'লহেঁতেন।

ন-অসমীয়া মুছলমানসকলে অসমীয়া ভাষাক নিজৰ বুলি গ্ৰহণ কৰাটোও অসমৰ ইতিহাসত এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা। ইয়াৰ পৰিণাম বা প্ৰতিক্ৰিয়াও হ'ব সুদূৰ-প্ৰসাৰী। প্ৰাচীন কালত ধৰ্মই জনসাধাৰণৰ মনত যি ধৰণৰ প্ৰচণ্ড আৱেগৰ সৃষ্টি কৰিছিল, আজিকালি ভাষায়ো ঠিক তেনে ধৰণৰ আৱেগৰ সৃষ্টি কৰে। তাৰ কাৰণ আছে। আধুনিক গণতান্ত্ৰিক শাসন-ব্যৱস্থাত ভাষা কেৱল ভাবৰ আদান-প্ৰদানৰ মাধ্যম মাত্ৰ নহয়; ইয়াৰ লগত বহুতো গুৰুত্বপূৰ্ণ ৰাজনৈতিক আৰু অৰ্থনৈতিক কথাও জড়িত আছে। গণতন্ত্ৰ মানেই হ'ল আলোচনাৰ দ্বাৰা শাসন। গতিকে কোন ভাষাত সেই আলোচনা চলিব— জন-সাধাৰণৰ কাৰণে নিশ্চয় সি এটা অতি ডাঙৰ কথা। ই এটা ইমান ডাঙৰ কথা যে যোৱা পঞ্চাশ বছৰ ধৰি আলোচনা-বিলোচনা কৰিও ভাৰতৰ চৰকাৰী ভাষা কি হ'ব সেই কথা আজি পৰ্যন্ত ঠিৰাং কৰিব পৰা হোৱা নাই; এই ভাষাৰ প্ৰশ্নতেই তামিলনাডুৱে এদিন ভাৰতৰ পৰা ফাটি বাহিৰ হৈ যাবলৈ চেষ্টা কৰিছিল; এই ভাষাৰ প্ৰশ্নতেই পাহাৰীয়া জিলা কেইখনে অসমৰ পৰা ফাটি পৃথক হৈ গৈ মেঘালয় উপৰাজ্য স্থাপন কৰিছিল। ভাষাৰ লগত কেৱল যে ৰাজনৈতিক কথাই জড়িত আছে এনে নহয়, তাৰ এটা অৰ্থনৈতিক দিশো আছে। আমাৰ দেশত চৰকাৰেই এতিয়াও আটাইতকৈ ডাঙৰ নিয়োগকৰ্তা অৰ্থাৎ চৰকাৰেই আটাইতকৈ বেছি মানুহক কৰ্ম-সংস্থান দিয়ে। চৰকাৰে কোন ভাষাত ৰাজ্যৰ শাসন চলাব বা কোন ভাষাত পৰীক্ষা আদি লৈ চাকৰিৰ কাৰণে যোগ্য প্ৰাৰ্থী নিৰ্বাচন কৰিব— এইবোৰ কথাৰ ওপৰত দেশৰ এক বৃহৎ অৰ্থনৈতিক স্বাৰ্থ নিৰ্ভৰ কৰে। তদুপৰি এটা ভাষাত যিমানবোৰ কিতাপ-পত্ৰ লিখা হয় সেইবোৰৰ বিক্ৰীৰ ওপৰত নিৰ্ভৰ কৰি লিখক, প্ৰকাশক আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল এক বৃহৎ-সংখ্যক মানুহ জীয়াই থাকে। অৰ্থাৎ যি ভাষা কোৱা মানুহৰ সংখ্যা যিমানেই বেছি, সেই ভাষাৰ বজাৰো সিমানেই ডাঙৰ, সেই অনুপাতে সেই ভাষাৰ লিখক আৰু প্ৰকাশকৰ অৰ্থনৈতিক স্বাৰ্থও সিমানেই নিৰাপদ। চিনেমা-শিল্পৰ ক্ষেত্ৰতো এই একে কথাই প্ৰযোজ্য। এই আটাইবোৰ কাৰণতে নিজৰ ভাষাৰ স্বাৰ্থত সামান্য আঁচোৰ এটা পৰিলেই আজিকালি মানুহ জাঙুৰ খাই উঠে, আৰু নিজৰ ভাষাৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে প্ৰাণ পৰ্য্যন্ত বিসৰ্জন দিবলৈ কুণ্ঠিত নহয়।

ভাৰতীয় সংবিধানে স্বীকৃতি দিয়া চৈধ্যটা প্ৰধান ভাৰতীয় ভাষাৰ ভিতৰত অসমীয়া ভাষায়ো ঠাই পাইছে সঁচা, কিন্তু সেইবুলি অসমীয়া ভাষাৰ ভৱিষ্যৎ এতিয়াও সম্পূৰ্ণ নিৰাপদ নহয়। ভাষাৰ ভিত্তিতেই ভাৰতৰ ৰাজ্যসমূহৰ পুনৰ্গঠন কৰা হৈছিল, অৰ্থাৎ একো একোটা ভাষাৰ কাৰণে একো একোখন ৰাজ্যৰ সীমা নিৰ্দিষ্ট কৰা হৈছিল। সেই হিচাবে অসমত অসমীয়া ভাষাই প্ৰধান ভাষা। কিন্তু নিজৰ ৰাজ্যতেই অসমীয়া ভাষাই ন্যায্য স্থান ল'বলৈ যাওঁতে কিমানখিনি আলে-আহকালৰ সন্মুখীন হ'ব লগা হৈছে সেইবোৰ কথা

কাকো কৈ দিবৰ দৰকাৰ নপৰে। প্ৰত্যেকজন অসমীয়াই সেইবোৰ কথা জানে। মেঘালয় অসমৰ পৰা ফাটি যোৱাৰ পাচত অসমীয়া ভাষা আৰু ডাঙৰ দুৰ্যোগৰ সন্মুখীন হৈছে। অসমীয়া ভাষাৰ প্ৰধান প্ৰতিদ্বন্দ্বী হিচাবে বাংলা ভাষা আছেই; কাছাৰ জিলাৰ অধিবাসীসকল আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত সিঁচৰিত হৈ থকা বাঙালীসকলৰ উপৰিও প্ৰতিদিনে নৈৰ সোঁতৰ দৰে অবিৰামভাবে আহি থকা ভগনীয়া বাঙালীসকলে অসমত বাংলা ভাষী মানুহৰ সংখ্যা বৃদ্ধি কৰি বাংলা ভাষাৰ দাবী দিনে দিনে শক্তিশালী কৰিব ধৰিছে। মথাউৰি ভাঙি সোমাই অহা বানপানীৰ কোবাল সোঁতৰ দৰে যোৱা কেইবছৰমানত ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অসমলৈ ইমান মানুহ আহিছে যে তেওঁলোকৰ সংখ্যাও নিশ্চয় কেইবা লাখৰ ওপৰ হ'ব। এই ভাগ্যান্বেষী বহিৰাগতসকলে অসমীয়া ভাষা গ্ৰহণ কৰাৰ বা লোক-পিয়লৰ সময়ত নিজকে অসমীয়া ভাষী বুলি চিনাকি দিয়াৰ বিন্দুমাত্ৰ আশা নাই। আনহাতে অসমৰ প্ৰাচীনতম অধিবাসী আৰু অসমীয়া ভাষা-সংস্কৃতি-ঐতিহ্যৰ যোগ্যতম উত্তৰাধিকাৰী বড়োভাইসকলেও দুৰ্বোধ্য যুক্তিৰ অৱতাৰণা কৰি নিজকে অসমীয়াৰ পৰিবৰ্তে বড়ো-ভাষী বুলি চিনাকি দিবলৈ আগবাঢ়িছে। গতিকে দেখা যায় যে ১৯৭১ চনত নহ'লেও ১৯৮১ বা ৯১ চনৰ লোক-পিয়লত অসমীয়া ভাষাই অসমতেই সংখ্যালঘু জন-গোষ্ঠীৰ ভাষা হৈ পৰাৰ সম্ভাৱনা একেবাৰে অস্বীকাৰ কৰিব নোৱাৰি। গণতন্ত্ৰত সংখ্যাৰ গুৰুত্বই আটাইতকৈ বেছি। দেশত তুলনামূলকভাৱে অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা যিমানেই কম হৈ যাব, অসমীয়া জাতিৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অস্তিত্বও সিমানেই বিপদাপন্ন হৈ পৰিব। এই বিপদৰ বিৰুদ্ধে আমাৰ এটাই মাত্ৰ সহায় আছে। সেই সহায় হ'ল ন-অসমীয়া মুছলমানসকল। অসমীয়া জাতিয়ে এই কথা পাহৰি গ'লে ডাঙৰ ভুল কৰা হ'ব যে ন-অসমীয়া মুছলমানসকলে নিজকে অসমীয়াভাষী বুলি পৰিচয় নিদিলে অসমত অসমীয়া ভাষাই দ্বিতীয় বা তৃতীয় স্থানলৈ পিছলি পৰিবলৈ সৰহ পৰ নালাগিব, আৰু তাৰ পৰিণামত অসমীয়া জাতিৰ সুকীয়া অস্তিত্বই বিপদাপন্ন হৈ পৰিব। মনত ৰখা উচিত হ'ব যে আধুনিক ভাৰতৰ বিভিন্ন জাতি বা লোক-গোষ্ঠীবোৰ গঢ়ি উঠিছে ভাষাৰ ভিত্তিতহে, ধৰ্ম বা সম্প্ৰদায়ৰ ভিত্তিত নহয়। ভাৰতৰ বিভিন্ন জাতি বুলিলে আমি অসমীয়া, বাঙালী, মাৰাঠী, গুজৰাটী আদিহে বুজি পাওঁ; হিন্দু, মুছলমান, পাচী, কায়স্থ বা বামুণ বুলি বুজি নাপাওঁ। গতিকে অসমত যিয়েই কামে-কাজে অসমীয়া ভাষা গ্ৰহণ কৰি নিজকে অসমীয়া বুলি চিনাকি দিয়ে তেৱেঁই আমাৰ আপোন; যিয়েই সেইখিনি কৰিব নোখোজে তেৱেঁই আমাৰ পৰ। ন-অসমীয়া মুছলমানসকলৰ সমস্যাটো আজি এই দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চোৱাৰ সময় আহি পৰিছে।

২

যোৱা অৰ্ধ-শতাব্দী কাল ধৰি পূৰ্ব-বঙ্গৰ পৰা অসমলৈ মানুহৰ সোঁত ব'ব ধৰিছে। আৰম্ভণিৰ পৰাই এই ঘটনাটোৰ লগত ৰাজনৈতিক অভিসন্ধি আৰু অৰ্থনৈতিক তাড়না ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। যিবোৰ মানুহে নিজৰ সাতাম-পুৰুষীয়া মাটি-ভেটি আৰু জন্মভূমি পৰিত্যাগ কৰি ভাগ্যৰ অন্বেষণত পৰ-দেশলৈ গুচি আহিছে, বহু যুগৰ দাৰিদ্ৰ্য আৰু শোষণৰ চেপাত গুড়ি হোৱা সেই মানুহবোৰে যে অৰ্থনৈতিক তাড়নাতেই অৰ্থাৎ নিজৰ প্ৰাণৰ দায়তেই অসমলৈ আহিছে সেই বিষয়ে কোনো সন্দেহ নাই। সকলো ধৰণৰ ৰাজনৈতিক প্ৰচাৰকে বেদ-বাক্য বুলি গ্ৰহণ কৰি নিজৰ স্বাধীন মতামত বা বিচাৰ-বুদ্ধি বিসৰ্জন দিয়া মানুহৰ বাহিৰে আন কোনেও এই কথা অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু লগতে এই কথাও সঁচা যে কিছুমান মানুহে

আৰম্ভণিৰে পৰাই এই সমস্যাটোক নিজৰ দলীয় বা সাম্প্ৰদায়িক ৰাজনীতিৰ অভিসন্ধি পূৰণৰ কাৰণেহে ব্যৱহাৰ কৰি আহিছে। অসমৰ মুছলীম লীগ চৰকাৰে অসমৰ 'বৰ ঘৰৰ দুৱাৰ পূৰ্ব-বঙ্গৰ এই লাখ লাখ ভূমি-ক্ষুধা-কাতৰ মানুহৰ কাৰণে মুকলি কৰি দিছিল, তেওঁলোকে সেইটো কৰিছিল অসমক মুছলমান প্ৰধান প্ৰদেশত পৰিণত কৰাৰ আশাৰেহে। আজিও হয়তো বহুতো নিৰ্বোধ আৰু স্বাৰ্থান্ধ ৰাজনৈতিক নেতাৰ মনত অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ অলীক স্বপ্ন থাকিব পাৰে। কিন্তু মুষ্টিমেয় কেইজনমান মানুহৰ দুৰভিসন্ধিৰ কাৰণে লাখ লাখ মানুহৰ গোটেই সমাজখনকে কেতিয়াও দোষ দিব নোৱাৰি। আজি এই অজ্ঞ, অসহায় আৰু দাৰিদ্ৰ্য-জৰ্জৰিত লাখ লাখ মানুহৰ অৰ্থনৈতিক সমস্যাক কেইজনমান স্বাৰ্থ-সৰ্বস্ব মানুহৰ ৰাজনৈতিক অভিসন্ধিৰ পৰা পৃথক কৰি চোৱাৰ সময় আহিছে।

যিসকল লোকক আমি 'ন-অসমীয়া' বুলি অভিহিত কৰিছোঁ তেওঁলোক স্বাধীনতা লাভৰ বহু আগতেই অসমলৈ আহিছিল। অসমত স্থায়ীভাৱে বসতি কৰিবলৈ অহা এইসকল লোকে স্বেচ্ছাই অসমীয়া ভাষা গ্ৰহণ কৰিছিল, নিজকে অসমীয়া বুলি পৰিচয় দিছিল, তেওঁলোক উদাৰ অসমীয়া জাতিৰ এটা প্ৰধান অঙ্গ হৈ পৰিছিল। ইমান দিনে তেওঁলোকৰ সুকীয়া অস্তিত্বৰ কথা মানুহে পাহৰিয়েই গ'লহেঁতেন। কিন্তু এনে সময়তে এটা ডাঙৰ ঐতিহাসিক দুৰ্ঘটনা ঘটিল। সেই দুৰ্ঘটনাই হাজাৰ হাজাৰ বছৰ ধৰি এক আৰু অখণ্ড সত্তা হিচাবে বিৰাজ কৰা ভাৰতক দ্বি-খণ্ডিত কৰিলে, ভাৰতৰ হৃদয় দুফাল কৰিলে, তাৰ লগে লগে অসমৰ ন-অসমীয়া মুছলমানসকলৰ জীৱনো দুৰ্বিসহ কৰি তোলাৰ বাট মুকলি কৰিলে। অসমৰ ন-অসমীয়া মুছলমানসকলৰ আদিম মাতৃভূমি পূৰ্ব-বঙ্গ পাকিস্তান সৃষ্টি হোৱাৰ পাচত পূৰ্ব-পাকিস্তানত পৰিণত হ'ল। স্বাধীনতা লাভৰ পিচতো এই পূৰ্ব-বঙ্গ তথা পূৰ্ব-পাকিস্তানৰ পৰা অসমলৈ মানুহৰ সোঁত বৈয়েই থাকিবলৈ ধৰিলে। সন্দেহ নাই যে এই মানুহবোৰো দেশ এৰি বিদেশলৈ দলে দলে ভাগি অহাৰ মূল কাৰণ অৰ্থনৈতিক তাড়না; কিন্তু সেয়ে হ'লেও তেওঁলোক শত্ৰু-ভাবাপন্ন বিদেশী ৰাষ্ট্ৰৰ নাগৰিক, তেওঁলোকক অসমত ঠাই দিয়াৰ কোনো প্ৰশ্নই নিশ্চয় উঠিব নোৱাৰে। এই পাকিস্তানী অনুপ্ৰৱেশকাৰীসকলক চিনাক্ত কৰাৰ আৰু বিতাড়ন কৰাৰ যেতিয়াই প্ৰশ্ন উঠিল, তেতিয়াই ন-অসমীয়া মুছলমানসকলক কেন্দ্ৰ কৰি আৰম্ভ হ'ল এটা অতি জটিল সমস্যা। আজি ন-অসমীয়া মুছলমানসকলক জাতে-পাতে অসমীয়া বুলি গ্ৰহণ কৰিও যে তেওঁলোকৰ বিষয়টোক আমি সুকীয়াকৈ আলোচনা কৰিব লগা হৈছে, তাৰ মূলতে হ'ল এই সমস্যা।

এই সমস্যাটো ভালকৈ বুজিবৰ কাৰণে আমি প্ৰথমতে কেইটামান কথা চিজিল কৰি ল'ব লাগিব। পূৰ্ব বঙ্গৰ পৰা যিসকল মুছলমান লোক ১৯৪৭ চনৰ আগতেই অসমলৈ আহিছিল তেওঁলোক ভাৰতীয় নাগৰিক আৰু অসমীয়া জাতিৰ অঙ্গ-স্বৰূপ। ১৯৪৭ চনৰ পাচত যিসকল লোক অসমলৈ আহিছে তেওঁলোক পাকিস্তানী অনুপ্ৰৱেশকাৰী। এনেয়ে তেওঁলোক বিদেশী, তাতে আকৌ তেওঁলোকৰ ৰাষ্ট্ৰ পাকিস্তান আমাৰ প্ৰতি শত্ৰুভাবাপন্ন। গতিকে এই পাকিস্তানী অনুপ্ৰৱেশকাৰীসকলক বিতাড়ন কৰাটো আমাৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ কাৰণে অপৰিহাৰ্য্য। এটা বিষয়ে কোনো সন্দেহ নাই যে ১৯৪৭ চনৰ পাচতো লাখৰ ওপৰ পূৰ্ব-পাকিস্তানী লোক অসমলৈ আহিছে। তেওঁলোকে স্বাভাৱিকতেই ন-অসমীয়া মুছলমান-অধ্যুষিত অঞ্চলবোৰতেই আশ্ৰয় লৈছে। ন-অসমীয়া মুছলমান আৰু পাকিস্তানী অনুপ্ৰৱেশকাৰী গুৰিতে একেই পৰিয়ালৰ লোক, গতিকে তেওঁলোকক ইজনৰ পৰা সিজনক পৃথক কৰি চিনি পাবলৈ কোনো উপায় নাই। সমস্যাটো আৰম্ভ হ'ল এইখিনিতেই। মুছলমান বিৰোধী কেতবোৰ ৰাজনৈতিক নেতাই অভিযোগ কৰিছে যে এই ন-অসমীয়া

মুছলমানসকলেই পাকিস্তানী অনুপ্ৰবেশকাৰীসকলক মাতি আনিছে আৰু আশ্ৰয় দিছে, গতিকে তেওঁলোকো দেশৰ শত্ৰু। আনহাতে ন-অসমীয়া মুছলমানসকলে ওলোটাই অভিযোগ কৰিছে যে পাকিস্তানী অনুপ্ৰবেশকাৰী বুলি মিছা বদনাম দি বহুতো নিৰপৰাধ ভাৰতীয় নাগৰিককো অন্যায় জোৰ-জুলুম কৰা হৈছে আৰু বহিষ্কাৰ কৰা হৈছে; তাতোকৈ ডাঙৰ কথা— সমগ্ৰ ন-অসমীয়া মুছলমান সমাজখনকে দেশদ্ৰোহী বুলি অভিযুক্ত কৰি এটা ব্যাপক সন্দেহ আৰু অবিশ্বাসৰ বাতাবৰণ সৃষ্টি কৰা হৈছে।

এই অভিযোগ আৰু প্ৰতি-অভিযোগৰ মাজত সঁচা-মিছা দুয়োটাই নিশ্চয় মিহলি-হৈ আছে। প্ৰথমতে অ-মুছলমান ৰাজনৈতিক নেতাসকলৰ অভিযোগৰ কথাই ধৰা যাওক। তেওঁলোকৰ এই অভিযোগ নিশ্চয় সঁচা যে অসমত বহুতো পাকিস্তানী লোকে অনুপ্ৰৱেশ কৰিছে। কিন্তু তেওঁলোকে এই গোটেই ঘটনাটো কেৱল ৰাজনৈতিক দৃষ্টিকোণৰ পৰাহে বিচাৰ কৰিবলৈ যত্ন কৰে। ইয়াৰ যে এটা অৰ্থনৈতিক দিশ থাকিব পাৰে, মানৱীয় দিশ থাকিব পাৰে— তাৰ প্ৰতি তেওঁলোক সম্পূৰ্ণ অন্ধ। তদুপৰি তেওঁলোকে আকাৰে-ইঙ্গিতে এনে এটা কথাও প্ৰচাৰ কৰিবলৈ চেষ্টা কৰে যে মুছলমান মাত্ৰেই, বিশেষকৈ ন-অসমীয়া মুছলমান মাত্ৰেই মনে-প্ৰাণে ভাৰত-বিদ্বেষী আৰু পাকিস্তানৰ প্ৰতি অনুগত। তেওঁলোকৰ মাজত যে দুই-এজন বা আনকি হাজাৰ বাৰশ জনো এনে লোক নাই সেই কথা জোৰকৈ ক'ব নোৱাৰি। আদৰ্শৰ প্ৰতি অন্ধ-নিষ্ঠাই কোনো যুক্তি নামানে। বৃটিচসকলে নাজী জাৰ্মানীৰ লগত মৰণ-পণ যুদ্ধত লিপ্ত হৈ থকাৰ সময়তো ইংলেণ্ডতেই হিটলাৰৰ বহুতো ইংৰাজ-ভক্ত আছিল। আজিও কমিউনিজমৰ প্ৰতি আনুগত্যৰ কাৰণে বহুতো ইংৰাজ আৰু আমেৰিকান বিজ্ঞানী, বুদ্ধিজীৱী আৰু বুৰোক্ৰেটে স্বদেশৰ প্ৰতি বিশ্বাসঘাতকতা কৰিবলৈ কুণ্ঠিত হোৱা নাই। সিমান দূৰলৈ যাবই নালাগে— আজি ঠিক এই মুহূৰ্তত আমাৰ চকুৰ আগতে তথাকথিত নক্সালপন্থীসকলে "চীনৰ চেয়াৰমেন্ মাও আমাৰো চেয়াৰমেন্" বুলি চৰম দেশদ্ৰোহিতামূলক কথা প্ৰকাশ্যে প্ৰচাৰ কৰি ফুৰিছে।

.... যিহওক, ক'ব খুজিছিলো যে ন-অসমীয়া মুছলমানসকলৰ মাজতো কিছু লোক হয়তো থাকিব পাৰে— যিসকল লোক পাকিস্তানী অনুপ্ৰৱেশকাৰীসকলৰ প্ৰতি সহানুভূতিশীল। তেওঁলোকৰ এই সহানুভূতিৰ মূল কাৰণ ভাৰত-বিদ্বেষ বা পাকিস্তান-প্ৰীতি নহ'বও পাৰে। আমি এই কথা পাহৰি গ'লে নচলিব যে ন-অসমীয়া মুছলমান আৰু পাকিস্তানী অনুপ্ৰৱেশকাৰীসকলৰ মাজত তেজৰ সম্পৰ্ক আছে; এই তেজৰ সম্পৰ্কৰ প্ৰতি হঠাতে কেতিয়াবা দুৰ্বলতা প্ৰকাশ পালে ৰাজনীতিৰ মহাভাৰত হয়তো অশুদ্ধ হ'ব পাৰে, কিন্তু তাৰ দ্বাৰা মানুহৰ মনুষ্যত্ব কলুষিত নহয়। এই সমস্যাটোক কেৱল ৰাজনীতিজ্ঞৰ স্বাৰ্থ-কলুষিত চছমাৰ মাজেৰে নাচাই লিখক, শিল্পী, সমাজ-সেৱক আৰু মানৱ-প্ৰেমিকৰ মুক্ত উদাৰ দৃষ্টিৰে চোৱাৰো প্ৰয়োজন আছে। দ্বিতীয়তে, কিছুমান পাকিস্তানী অনুপ্ৰৱেশকাৰী আৰু তেওঁলোকৰ বন্ধুৰ কাৰণেই গোটেই ন-অসমীয়া মুছলমান সমাজখনকে স্থায়ী সন্দেহ আৰু অবিশ্বাসৰ পাত্ৰ কৰি তোলাটো এটা ডাঙৰ অপৰাধ। যোৱা বহু বছৰ ধৰি অসমৰ কেইজনমান ৰাজনৈতিক নেতাৰ মুখত মুছলমান-বিদ্বেষৰ বাহিৰে আন কোনো কথা নাই। মুছলমানসকল নোহোৱা হ'লে যে তেওঁলোকে কি মূলধন কৰি ৰাজনীতি কৰি থাকিলহেঁতেন— সেইটো এটা কৌতূহলৰ বিষয়। পাকিস্তানী অনুপ্ৰৱেশকাৰীৰ নামত তেওঁলোকে মানুহৰ মনত এনে এটা ব্যাপক আতঙ্কৰ ভাব সঞ্চাৰিত কৰি দিবলৈ চেষ্টা কৰিছে যে ইমান দিনে অসমত কোনো এটা অঘটন নঘটাটোহে বৰ আচৰিত কথা। অসমত পাকিস্তানী অনুপ্ৰৱেশকাৰী নিশ্চয় আছে, সাম্প্ৰদায়িকতাবাদী আৰু পাকিস্তান বন্ধুও আছে, কিন্তু লগতে এই কথাও সঁচা যে পাকিস্তানী অনুপ্ৰৱেশকাৰী নথকা ভাৰতৰ বিভিন্ন

ৰাজ্যত যোৱা তেইশ বছৰে যিমানবোৰ ৰক্তাক্ত আৰু লোমহৰ্ষক সাম্প্ৰদায়িক সংঘৰ্ষ ঘটিছে— তাৰ তুলনাত অসমক স্বৰ্গ-ৰাজ্যই বুলি ক'ব পাৰি। হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰে স্বাৰ্থান্ধ নেতাসকলৰ অবিৰাম প্ৰৰোচনা সত্বেও অসমৰ জনসাধাৰণে ধৰ্মীয় সাম্প্ৰদায়িকতাবাদক অকণো প্ৰশ্ৰয় দিয়া নাই। ই এটা অতি তাৎপৰ্য্যপূৰ্ণ কথা। অসমৰ ন-অসমীয়া মুছলমান সমাজৰ বিষয়ে কৰা যিকোনো ৰাজনৈতিক আলোচনাত এই তথ্যটো মনত ৰখা প্ৰয়োজন।

এতিয়া আমি ন-অসমীয়া মুছলমানসকলৰ অভিযোগৰ প্ৰশ্নটোলৈ আহোঁ। তেওঁলোকে অভিযোগ কৰিছে যে পাকিস্তানী অনুপ্ৰৱেশকাৰীৰ নামত বহুতো নিৰপৰাধ ভাৰতীয় নাগৰিককো অত্যাচাৰ কৰা হৈছে আৰু সাধাৰণভাৱে সকলো ন-অসমীয়া মুছলমানকে সন্দেহৰ পাত্ৰ কৰি তোলা হৈছে। এই অভিযোগ সম্পূৰ্ণ মিছা নহয়। যি মুহূৰ্ততেই পাকিস্তানী অনুপ্ৰৱেশকাৰীৰ চিনাক্তকৰণৰ ভাৰ পুলিচৰ হাতত দিয়া হ'ল, সেই মুহূৰ্ততেই কাৰো এই কথা বুজিবলৈ বাকী নাথাকিল যে অজস্ৰ নিৰপৰাধ ভাৰতীয় নাগৰিকৰ কপালতো এইবাৰ বহুত দুখ লিখা আছে। দ্বিতীয়তে এই কথাও সঁচা যে বহুতো উগ্ৰ সাম্প্ৰদায়িকতাবাদী হিন্দু নেতাই নিজৰ নেতৃত্ব বজাই ৰাখিবৰ কাৰণে বা নিজৰ সঙ্কীৰ্ণ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ কাৰণে সমগ্ৰ মুছলমান সমাজখনকে দেশদ্ৰোহী বুলি চিত্ৰিত কৰিবলৈ চেষ্টা কৰি আহিছে। এই দুয়োটা অন্যায়ৰে অতি সোনকালে প্ৰতিকাৰ হোৱা উচিত। কিন্তু লগতে সত্যৰ খাতিৰত এই কথাও স্বীকাৰ কৰিব লাগিব যে বহুতো মুছলমানে থিঅ'ক্ৰেচি (Theocracy) বা ধৰ্মভিত্তিক ৰাষ্ট্ৰৰ আদৰ্শৰ প্ৰভাৱ অতিক্ৰম কৰি আধুনিক ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰীয় আদৰ্শৰ লগত নিজকে খাপ খুৱাই ল'ব পৰা নাই; ফলত তেওঁলোকৰ দৃষ্টি এতিয়াও হৈ আছে পশ্চাদমুখী আৰু প্ৰতিক্ৰিয়াশীল। পয়গম্বৰৰ এটা বাণী আছে ঃ হুবুল্ বাতনে মিনাল্ ইমান, অৰ্থাৎ মাতৃভূমিৰ প্ৰতি প্ৰেম মুছলমানৰ ধৰ্ম-বিশ্বাসৰ অঙ্গ। কিন্তু এই শিক্ষাৰ প্ৰভাৱ বৰ বেছি গভীৰ নহয়। অৱশ্যে তাৰ বাবে কোনো মুছলমানক দোষ দি লাভ নাই। আমি মনত ৰখা উচিত যে আধুনিক কমিউনিজমৰ দৰে ইছলামো এটা আন্তৰ্জাতিক আন্দোলন। পৃথিৱীৰ, সকলো কমিউনিষ্টে মস্কো বা পিকিঙৰ প্ৰতি আনুগত্য অনুভৱ কৰাটো যদি চৰম সাম্প্ৰাদায়িকতাৰ কাম নহয়, তেন্তে মক্কাৰ প্ৰতি পৃথিৱীৰ সকলো মুছলমানৰ মনোভাৱকো সেই একে দৃষ্টিভঙ্গীৰেই বিচাৰ কৰিব লাগিব। পাকিস্তানৰ জন্মদাতা কবি ইকবালে গাইছিল ঃ

> Our heart is not of India, Turkey or Syria;
> Our Common birth place is nothing but Islam.

অৰ্থাৎ আমাৰ হৃদয় ভাৰত, তুৰ্কী বা চিৰিয়া ক'তো নাই; কেৱল ইছলামেই হ'ল আমাৰ সকলোৰে উমৈহতীয়া জন্মভূমি। ইক্‌বালে আৰু কৈছে ঃ 'হিজ্‌ৰতৰ তাৎপৰ্য্য হ'ল এয়েই যে কোনো ঠাই, কোনো নগৰ বা কোনো দেশেই মুছলমানৰ বিশেষ আপোন নহয়। যদি কোনো এখন ঠাই ইছলামৰ বিকাশৰ কাৰণে অনুপযোগী বুলি বিবেচিত হয়, তেন্তে মুছলমানে সেই ঠাই এৰি থৈ অন্য ঠাইলৈ গুচি যাব পাৰে।' যোৱা ডেৰ হাজাৰ বছৰ ধৰি সমগ্ৰ বিশ্বৰ মুছলমানসকল এনে ধৰণৰ ধৰ্মীয় আন্তৰ্জাতিকতাৰ আদৰ্শৰ মাজত লালিত হৈ আহিছে। গতিকে তেওঁলোকে খিলাফৎ উচ্ছেদৰ প্ৰতিবাদত যদি একত্ৰিত হৈ উঠে বা আলআক্সা মছজিদ ভস্মীভূত হোৱাৰ কাৰণে যদি অসমীয়া মুছলমানে বুকু চপৰিয়াই হায় হায় কৰি কান্দে বা স্ব-ধৰ্মীৰ প্ৰতি যদি বিশেষ দৰদ অনুভৱ কৰে, তেন্তে তেওঁলোকৰ এনে মনোভাৱৰ প্ৰতি আমি সহনশীল হোৱা উচিত। প্ৰথমতঃ তেওঁলোকৰ ধৰ্মীয় আন্তৰ্জাতিকতা আৰু স্বদেশানুৰাগৰ মাজত সমন্বয় স্থাপন হোৱা

অসম্ভৱ নহয়। দ্বিতীয়তে আধুনিক আদৰ্শ আৰু পৰিস্থিতিৰ প্ৰভাৱত লাহে লাহে তেওঁলোকে মধ্যযুগীয় মনোভাব পৰিহাৰ কৰি আধুনিক জাতীয়তাবাদী ৰাষ্ট্ৰ-ব্যৱস্থাৰ প্ৰতি অনুগত হ'বলৈ বাধ্য। যুগধৰ্মৰ প্ৰভাৱতে এই নতুন আনুগত্যৰ ভেটি হ'ব আধুনিক ৰাষ্ট্ৰাদৰ্শ আৰু জাতীয়তাবোধ, ভাষা আৰু অৰ্থনৈতিক স্বাৰ্থ; সেই ভেটি কেতিয়াও ধৰ্ম হ'ব নোৱাৰে। ধৰ্মৰ ভেটিত স্থাপিত হোৱা পাকিস্তানৰ যোৱা তেইশ বছৰৰ অন্তৰ্দ্বন্দ্ব আৰু ক্ৰমবিবৰ্তনেই তাৰ প্ৰমাণ।

ওপৰৰ আলোচনাৰ পৰা এই কথা প্ৰমাণ হৈছে যে ন-অসমীয়া মুছলমানৰ সমস্যাটো ৰাজনীতিৰ সঙ্কীৰ্ণ গণ্ডীৰ পৰা মুক্ত কৰাৰ প্ৰয়োজন আহি পৰিছে। বিদেশী নাগৰিকে যদি অসৎ মনোভাৱেৰে আমাৰ দেশত অনুপ্ৰৱেশ কৰে, তেন্তে সিহঁতক বাহিষ্কাৰ কৰিবই লাগিব। সেইটো পুলিচৰ কাম। কিন্তু কোনো পুলিচে সেই কাম নিষ্পত্তি কৰি শেষ কৰিব নোৱাৰে। পুলিচে অনুপ্ৰৱেশকাৰীক খেদিয়েই থাকিব, সিহঁত পুনৰ আহিয়েই থাকিব, ফলত কেতবোৰ অসৎ পুলিচ আৰু অসৎ ৰাজনীতিজীৱীৰ লাভ হোৱাৰ বাহিৰে আন কাৰো একো লাভ নহ'ব। আচল কাম হ'ল মানুহৰ মগজৰ পৰা কেতবোৰ ভ্ৰান্ত আৰু অচল ধাৰণাক বহিষ্কাৰ কৰা, অৰ্থাৎ সমাজৰ আধুনিকীকৰণ কৰা। ন-অসমীয়া মুছলমান সমাজৰ নেতাসকলে এই কথা স্বীকাৰ কৰিব যে অজ্ঞ, নিৰক্ষৰ আৰু দাৰিদ্ৰ্য-জৰ্জৰিত তেওঁলোকৰ সমাজখন এতিয়াও আধুনিক যুগৰ পোহৰলৈ অহা নাই, কেতবোৰ যুগজীৰ্ণ অচল সংস্কাৰ আৰু ধাৰণাকে বুকুত সাবটি তেওঁলোক এতিয়াও মধ্যযুগৰ আন্ধাৰত পৰি আছে। তেওঁলোকৰ অজ্ঞতা আৰু অসহায়তাৰ সুযোগ লৈ তেওঁলোকৰ স্ব-ধৰ্মী স্বাৰ্থপৰ লোক কিছুমানেই তেওঁলোকক শোষণ কৰি আছে। আজি আটাইতকৈ ডাঙৰ কাম হ'ল ন-অসমীয়া মুছলমানৰ সমাজখনত আধুনিক জ্ঞান-বিজ্ঞানৰ পোহৰ বিলাই তেওঁলোকক এটা সুস্থ জীৱনৰ সন্ধান দিয়া আৰু সকলো সামাজিক আৰু অৰ্থনৈতিক শোষণৰ পৰা তেওঁলোকক মুক্ত কৰা। এইটো কৰিব পাৰিলেই তেওঁলোকৰ সমস্যাটো এটা সঙ্কীৰ্ণ ৰাজনৈতিক সমস্যা হৈ নাথাকি সি এটা অৰ্থনৈতিক আৰু মানৱীয় সমস্যাত পৰিণত হ'ব। আৰু লগে লগে সকলো সাম্প্ৰদায়িকতাবাদীৰ ভাত মৰিব। এইটো কৰিব পাৰিলেই ন-অসমীয়া মুছলমানসকলেও বুজিব যে অসমৰ বৰ্তমানৰ পৰিস্থিতি হিন্দুৱেই হওক বা মুছলমানেই হওক— বাহিৰৰ লোকক অসমলৈ মাতি অনাটো বা তেওঁলোকক আশ্ৰয় দিয়াটো ন-অসমীয়া মুছলমানৰ অৰ্থনৈতিক স্বাৰ্থৰ কাৰণেই ভয়ানকভাৱে ক্ষতিকাৰক। ন-অসমীয়া মুছলমান সমাজৰ আধুনিকীকৰণৰ দায়িত্ব ঘাইকৈ সেই সমাজৰ শিক্ষিত নেতৃস্থানীয় ডেকাসকলৰ। সুখৰ কথা যে যোৱা কেই বছৰমানত এনে ডেকা বহুতো ওলাইছে, আৰু তেওঁলোকৰ চেষ্টাৰ ফলত ন-অসমীয়া মুছলমান সমাজখন যে আধুনিক যুগলৈ দ্ৰুত গতিৰে আগবাঢ়ি যাব— সেই বিষয়ে কোনো সন্দেহ নাই।

৩

আৰ্থাৰ কোৱেচ্‌লাৰে এবাৰ কৈছিল যে ভূমিকম্পত এক লাখ মানুহ মৰা বুলি বাতৰি কাকতত পঢ়িলে আমি বিশেষ একো বেদনা অনুভৱ নকৰোঁ, কাৰণ সেই সংবাদ আমাৰ কাৰণে এক নিষ্প্ৰাণ তথ্য মাত্ৰ; কিন্তু চকুৰ আগতে মাত্ৰ এটা মানুহ গাড়ী-চেপা খাই মৰিলে আমি যন্ত্ৰণাত ধৰ্ফৰাই উঠোঁ, কাৰণ সি আমাৰ কাৰণে এটা প্ৰত্যক্ষ অভিজ্ঞতাৰ বিষয়, এটা মানৱীয় সত্য। জীৱনৰ সকলো বিষয়ৰ ক্ষেত্ৰতে এই মন্তব্যটো প্ৰযোজ্য। কাকতে-পত্ৰই বা ৰাজনীতিজ্ঞৰ বক্তৃতাত আমি যেতিয়া ন-অসমীয়া মুছলমানৰ কথা পঢ়োঁ, আমাৰ মানস-চকুত এনে এক জনগোষ্ঠীৰ ৰূপ ভাহি উঠে যাৰ কোনো মুখ নাই, যাৰ কোনো নাম নাই,

যাৰ কোনো হৃদয় নাই; এই নিৰ্মোল নামহীন জনগোষ্ঠী আমাৰ চকুত দেশৰ কাৰণে এক অন্তহীন বিপদৰ উৎস স্বৰূপ। কোৱা বাহুল্য মাথোন যে তেওঁলোকৰ এই ৰূপ বাতৰি কাকতৰ সৃষ্টি; বাতৰি কাকতেই বহুতো আধুনিক 'মীথ' আৰু আধুনিক সাধুকথাৰ দৈত্য-দানৱৰ সৃষ্টি-কৰ্তা। কিন্তু আমি যদি চকুৰ পৰা এই কৃত্ৰিম আৱৰণ গুচাই তেজ-মাংসৰ মানুহৰ মুক্ত দৃষ্টিৰে এই মানুহবোৰলৈ লক্ষ্য কৰোঁ, তেতিয়া আমি কি দেখোঁ? ব্ৰহ্মপুত্ৰ পাৰৰ আদিগন্ত-বিস্তৃত চাপৰিত যিজন 'মিঞা'ই হাল বাই সোণৰ ফচল ফলাইছে বা যিজন 'মিঞা'ই ৰ'দৰ তাপত আধা পোৰা হৈ ঘৰে ঘৰে কণী আৰু শাক-পাচলি বেচি ফুৰিছে বা যিজন 'মিঞা'ই আপোনাৰ ঘৰত হালোৱা হৈ ভাত মোকলাইছে— আপুনি ভাবিব পাৰেনে যে তেওঁ মানুহ নহয়, তেওঁ কেৱল মুছলমান? যিজন মানুহে উদয়াস্ত পৰিশ্ৰম কৰিও পেটৰ ভাত-মুঠি মোকলাব নোৱাৰে আৰু হিংস্ৰ শীতৰ ৰাতিত ল'ৰা-ছোৱালীৰ গাত এডোখৰ কাপোৰ দিব নোৱাৰে, আপুনি বিশ্বাস কৰিব পাৰেনে যে তেওঁৰ ইছলামৰ সাম্ৰাজ্য বিস্তাৰৰ কাৰণে সপোন দেখিবলৈ সময় বা ধৈৰ্য্য আছে? আপুনি যদি ভণ্ড আৰু স্বাৰ্থপৰ ৰাজনীতি-জীৱীৰ কথাতেই ভোল নগৈ নিজৰ চকুৰে এই মানুহবোৰৰ মুখলৈ চাই পঠায়, তেন্তে দেখিব যে সমগ্ৰ পৃথিবীতে ইমান নিৰ্য্যাতিত আৰু অসহায় মানুহ বোধহয় বৰ বেছি নাই। এই মানুহবোৰে যদি কেতিয়াবা ভুল কৰি ধৰ্মান্ধতা দেখুৱায়, তেন্তে তাৰ বাবে কেৱল তেওঁলোককেই দোষ দিলে নচলিব। তেওঁলোক ইমান অজ্ঞ আৰু সৰল যে বহু যুগ ধৰি সমাজৰ টেঙৰ মানুহবোৰে নিজৰ স্বাৰ্থ-সিদ্ধিৰ কাৰণে তেওঁলোকক পুতলাৰ দৰে ব্যৱহাৰ কৰি আহিছে। মূৰৰ বিষ হোৱাৰ কাৰণে কোনেও নিজৰ মূৰটো কাটি নেপেলায়; বৰং চিকিৎসা কৰি আৰোগ্য হোৱাৰ ব্যৱস্থা কৰে। হিন্দু মুছলমান নিৰ্বিশেষে সমাজৰ যিবোৰ মানুহ অজ্ঞতাৰ অন্ধকাৰত বুৰ গৈ আছে আৰু গোটেই সমাজখনকে পিচলৈ টানি ৰাখিছে, সেই মানুহবোৰক উন্নততৰ জীৱনৰ আদৰ্শত দীক্ষিত কৰি তেওঁলোকক আধুনিক যুগৰ পোহৰলৈ টানি অনাটো আমাৰ সকলোৰে কৰ্তব্য। গতিকে ই এনে এটা সমস্যা— যাৰ সমাধান কেতিয়াও কেৱল ৰাজনীতিজ্ঞৰ হাতত এৰি দিব নোৱাৰি। এই সমস্যা সমাধানৰ কাৰণে সমাজৰ মঙ্গলকামী সকলো লিখক, বুদ্ধিজীৱী আৰু সমাজ-সেৱক আগবাঢ়ি আহিব লাগিব।

পৰিশেষত আমি ইয়াকে ক'ব খোজোঁ যে যিটো বস্তুক ভিত্তি কৰি এই মুছলমান লোকসকলে অসমীয়া সমাজৰ লগত সম্পূৰ্ণ একাত্মতা স্থাপন কৰিবলৈ আগবাঢ়ি আহিছে সি হ'ল ভাষা। ধৰ্ম হ'ল অতীতৰ বস্তু, ভাষা ভৱিষ্যতৰ বস্তু। আধুনিক জগতত এটা সামাজিক শক্তি হিচাবে ধৰ্মৰ স্থান লাহে লাহে নোহোৱা হৈ আহিছে; আৰু এশ বছৰৰ পিচত ব্যক্তিগত জীৱনৰ বাহিৰে ধৰ্ম সমাজৰ এটা নিয়ামক শক্তি হৈ নাথাকিব। আনহাতে মানৱ-সমাজত চিন্তা-চৰ্চাৰ পৰিসৰ আৰু আলোচনাৰ প্ৰয়োজনীয়তা বাঢ়ি যোৱাৰ লগে লগে ভাষাৰ গুৰুত্বও বাঢ়ি যাব। এক কথাত ক'বলৈ গ'লে ভাষা এটা আধুনিক cause। গতিকে এই ভাষাৰ ভিত্তিত যিসকল লোক অসমীয়া সমাজৰ লগত একত্ৰিত হৈছে তেওঁলোকৰ লগত আমাৰ সম্পৰ্কও যে যাউতিযুগীয়া আৰু ভৱিষ্যতমুখী, সেই বিষয়ে কোনো সন্দেহ নাই।

সাপ্তাহিক নীলাচল, ৮৮ সংখ্যা : ২৪ জুন, ১৯৭০

'সম্পাদকলৈ চিঠি'

'চিঠি-পত্ৰ'ৰ শিতানটো বাতৰি-কাকতৰ এটা প্ৰধান অঙ্গ। এই শিতানত পাঠকসকলে তেওঁলোকৰ ব্যক্তিগত অভিমত, অভিজ্ঞতা আৰু অভাৱ-অভিযোগ জনাই সম্পাদকলৈ যিবোৰ চিঠি-পত্ৰ লিখে, সেইবোৰৰ মাজত জনসাধাৰণৰ সমস্যা আৰু চিন্তাধাৰাৰ যথেষ্ট আভাস ফুটি উঠে। তদুপৰি বাতৰি-কাকতত প্ৰকাশ পোৱা এই চিঠি-পত্ৰবোৰৰ যোগেদিয়েই সৰ্বসাধাৰণ ৰাইজে ৰাষ্ট্ৰীয় আৰু সামাজিক পৰ্য্যায়ৰ আলোচনাসমূহত অংশ গ্ৰহণ কৰাৰ সুযোগ আৰু সন্তুষ্টি লাভ কৰে। এইটো এটা বৰ দৰকাৰী কথা। কাৰণ ইয়েই তেওঁলোকৰ মনত এটা sense of belonging বা সমাজৰ লগত একাত্মবোধৰ সৃষ্টি কৰি তেওঁলোকৰ এটা ডাঙৰ মানসিক প্ৰয়োজন পূৰ্ণ কৰে।

আমেৰিকাৰ 'টাইম' পত্ৰিকাই যোৱা বছৰত হিচাব দিছিল যে তেওঁলোকে মাত্ৰ এটা বছৰতে পাঠকসকলৰ পৰা ৫৫,০০০ খন চিঠি পাইছিল। তাৰে ১৫০০ খন মান চিঠি তেওঁলোকে প্ৰকাশ কৰিছিল আমি নিশ্চয় বছৰত ৫৫,০০০ খন চিঠি নাপাওঁ, আমাৰ সিমানখিনি গ্ৰাহকেই নাই। কিন্তু এখন সৰু ৰাজ্যৰ সীমাবদ্ধ পাঠক সমাজৰ বাৰ্তালোচনী হিচাবে আমি যিমানবোৰ চিঠি-পত্ৰ পাওঁ, তাৰ সংখ্যাও বৰ কম নহয়। সাপ্তাহিক নীলাচলৰ জন্মদিনৰে পৰা আজিলৈকে দুবছৰতকৈও কম সময়ৰ ভিতৰতে আমি প্ৰায় পাঁচ হাজাৰমান চিঠি পাইছোঁ। কিন্তু দুখৰ কথা যে আন সকলো অসমীয়া কাকততকৈ চিঠি-পত্ৰ প্ৰকাশৰ কাৰণে সাপ্তাহিক নীলাচলত আমি বেছি ঠাই দিয়া সত্বেও অতি সামান্য সংখ্যক চিঠিহে আমি প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছোঁ।

আমি পোৱা পাঁচ হাজাৰ চিঠিকেই সাপ্তাহিক নীলাচলত প্ৰকাশ কৰিব পৰা হ'লে আমি বৰ সুখী হ'লোঁহেঁতেন। কাৰণ পাঠকসকলে নিজৰ প্ৰত্যক্ষ অভিজ্ঞতা আৰু অন্তৰৰ অকপট অনুভূতি প্ৰকাশ কৰি লিখা এই পত্ৰ-পুঞ্জত অসমৰ জনসাধাৰণৰ জলন্ত সমস্যাৱলী আৰু ক্ৰোধ-হতাশাৰ অনুভূতি যি ভাৱে ফুটি উঠিছে আন একো উপায়েৰেই সেইবোৰ তেনেকৈ ফুটি উঠা সম্ভৱ নহয়। কোৱা বাহুল্য মাথোন যে এই গোটেইবোৰ চিঠি প্ৰকাশ কৰিব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল ঠাইৰ অভাৱ। কিছুমান বিশেষ চিঠি প্ৰকাশ কৰিব নোৱাৰাৰ এটা গৌণ কাৰণো অৱশ্যে আছে। সেইটো হ'ল মান-হানি মোকৰ্দমাৰ ভয়। কিছুমান পাঠকে অন্যায়-অনীতিৰ ক'তো একো প্ৰতিকাৰ বিচাৰি নাপাই অন্তৰৰ জ্বালা প্ৰশমিত কৰিবৰ কাৰণেই বাতৰি কাকতলৈকে চিঠি লিখে, কিন্তু বোধগম্য কাৰণতেই তেনেবোৰ চিঠি প্ৰকাশ কৰা সম্ভৱ নহয়।

বাতৰি কাকতৰ সম্পাদকৰ চিঠিৰ টোপোলা এটা বৰ কৌতুহলোদ্দীপক বস্তু। হাজাৰ হাজাৰ মানুহৰ অভিজ্ঞতা আৰু অনুভূতি এই চিঠিবোৰত যিমান স্বতঃস্ফূৰ্ত আৰু প্ৰত্যক্ষভাৱে ফুটি উঠে আন ক'তো সি তেনেকৈ ফুটি নুঠে। একে আষাৰে ক'বলৈ গ'লে এই চিঠিবোৰত এখন সমাজৰ নাড়ীৰ স্পন্দন অতি স্পষ্টভাৱে ধৰা পৰে। যোৱা প্ৰায় দুবছৰৰ ভিতৰত আমাৰ কাকতলৈ অহা পাঁচ হাজাৰ চিঠি-পত্ৰ বিশ্লেষণ কৰি আমি দেখিছোঁ যে প্ৰশাসনীয় দুৰ্নীতি, শিথিলতা আৰু অকৰ্মণ্যতাই হ'ল এই হাজাৰ হাজাৰ চিঠিৰ প্ৰধান বক্তব্য। ৰাইজে নিজৰ চকুৰ আগতে নানা বিধ অন্যায় আৰু অবিচাৰ দেখিব লাগিছে, কিন্তু তেওঁলোকে

ক'তো সেইবোৰৰ প্ৰতিকাৰৰ পথ দেখা নাই। তেওঁলোকৰ হা-হুতাশ আৰু ন্যায্য দাবীবোৰ নিষ্ফল আস্ফালন বা শিলৰ দেৱালত নিজে মূৰ খুন্দিয়াই কৰা যন্ত্ৰণাৰ চীৎকাৰত পৰিণত হৈছে। দেশৰ কৰ্ণধাৰসকলে জনসাধাৰণৰ এই তীব্ৰ হৃদয়ানুভূতিৰ কোনো উমান ৰখাৰ প্ৰমাণ আমি পোৱা নাই। ৰাজহুৱা মেল-মিটিংবোৰতো যি ধৰণৰ আলোচনা-বিলোচনা চলে, সেইবোৰো প্ৰকৃত বাস্তৱতাৰ লগত সম্পৰ্ক-ৰহিত বাগাড়ম্বৰৰ বাহিৰে আন একো বুলি ৰাইজে নাভাবে। এনে এটা পৰিস্থিতিত সামাজিক ন্যায়-বিচাৰ আৰু আইনৰ শাসনৰ ওপৰত ৰাইজৰ আস্থা দিনে দিনে নোহোৱা হৈ আহিছে। সম্প্ৰতি সামাজিক উচ্ছৃংখলতা আৰু হিংসাত্মক মনোভাৱে উৎকট ৰূপ ধাৰণ কৰাৰ ইও এটা প্ৰধান কাৰণ। যিসকল লোকে সমাজৰ সৰ্বাত্মক কল্যাণ কামনা কৰে আৰু শান্তিপূৰ্ণ উপায়েৰে সকলো সমস্যাৰ সমাধান হোৱাটো বিচাৰে, তেওঁলোকে প্ৰশাসনীয় ব্যৱস্থাক মানৱীয় আৰু হৃদয়বান কৰি তোলাৰ ওপৰত অধিক জোৰ দিয়া উচিত। কিন্তু কোনেও তেনে চেষ্টা কৰাৰ লক্ষণ আমি দেখা নাই। বস্তুত মানুহে যদি এটা জন্তুক খেদি-কুৰি কেনিও পলাই সাৰিব নোৱাৰাকৈ চুকুত পেলাই লয়, সি অন্ততঃ শেষবাৰৰ কাৰণে প্ৰত্যাক্ৰমণ কৰিবলৈ মৰণ-পণ কৰি গৰ্জি উঠে। অজস্ৰ অন্যায়-অবিচাৰৰ নিঃসহায় বলি উৎপীড়িত ৰাইজেও তাকে কৰাটোক বৰ্তমানৰ চৰকাৰে বিচাৰে নেকি?

অসমৰ ভৱিষ্যত

কংগ্ৰেছ দল দুভাগ হোৱাৰ পাচত যিসকল লোকে সমাজবাদৰ নামত শপত খাই শ্ৰীমতী ইন্দিৰা গান্ধীক সমৰ্থন কৰিছিল, সেই সকলৰ ভিতৰত শ্ৰীগুলজাৰীলাল নন্দও অন্যতম। তেওঁ এতিয়া আমাৰ ৰেলৱে মন্ত্ৰী। কিছুদিনৰ আগতে তেওঁ অসম ভ্ৰমণ কৰিবলৈ আহোঁতে অসমৰ ৰাইজৰ প্ৰতিনিধিসকলে তেওঁক লগ ধৰি এই ৰাজ্যৰ ৰেল-পৰিবহনৰ মান্ধাতা-কলীয়া ব্যৱস্থা কিছু উন্নত কৰিবলৈ তেওঁক অনুৰোধ কৰিছিল। তাৰ উত্তৰত শ্ৰীনন্দই সংক্ষেপতে ইমানকে কৈছিল যে পূৰ্বোত্তৰ সীমান্ত ৰেলৱেই উপাৰ্জন কৰে যোল কোটি টকা, কিন্তু ইয়াত খৰচ হয় বত্ৰিশ কোটি টকা (তেওঁ দিয়া এই হিচাব ভুল তথ্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু ষড়যন্ত্ৰমূলক বুলি পাচত জানিব পৰা গৈছে।); গতিকে এই আৰ্থিক লোকচানৰ কাৰণেই অসমৰ ৰেল-পৰিবহন ব্যৱস্থাৰ কোনো উন্নতি সাধন কৰা সম্ভৱ নহয়।

সকলো সমাজবাদীয়ে ঘাইকৈ যিটো কাৰণত পুঁজিবাদী অৰ্থনীতি আৰু সমাজ-ব্যৱস্থাৰ অৱসান হোৱাটো বিচাৰে, সেইটো হৈছে এই যে পুঁজিবাদে সমাজৰ কল্যাণ বা উন্নতিতকৈ সদায় লাভ কৰাৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে। অসমৰ ৰেল-পৰিবহন ব্যৱস্থাৰ উন্নতিৰ ওপৰতেই এই ৰাজ্যখনৰ সমগ্ৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে বুলি ক'ব পাৰি। ৰেল-পথৰ যদি উন্নতি নহয়, তেন্তে অসমত কোনো দিনে ডাঙৰ ব্যৱসায়-বাণিজ্য গঢ়ি উঠিব নোৱাৰে, ডাঙৰ উদ্যোগ স্থাপন হ'ব নোৱাৰে, কোনো দিনেই ইয়াত বয়-বস্তুৰ দাম কম হ'ব নোৱাৰে। ৰেল-পথৰ উন্নতি নকৰাৰ অৰ্থই হ'ল অসমক চিৰকাল কেঁচামাল যোগন ধৰা অঞ্চল আৰু ভাৰতৰ বাকী অংশৰ মানুহৰ কাৰণে অৰ্থনৈতিক উপনিবেশ কৰি ৰখা। আমাৰ ৰেলৱে মন্ত্ৰী এই নন্দ চাহাব কি মাৰ্কা সমাজবাদী- যিজনে ৰেলৰ বেপাৰত পইচা লাভ কৰিব নোৱাৰিলে বুলিয়েই এখন ৰাজ্যৰ সমগ্ৰ জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়নৰ পথ অনিৰ্দিষ্টকালৰ কাৰণে ৰুদ্ধ কৰি ৰাখিব খুজিছে। এয়াই কি ভাৰত-চৰকাৰৰ সমাজবাদী কাৰ্য্যকলাপৰ নমুনা!

দ্বিতীয়তে, ভাৰত চৰকাৰৰ বৰ্তমানৰ নেতাসকলে সহস্ৰখন মুখেৰে আঞ্চলিকতাবাদৰ নিন্দা কৰে। অৰ্থাৎ তেওঁলোকৰ মতে সকলো কথাতে সমগ্ৰ ভাৰতবৰ্ষখনক এক অখণ্ড আৰু অবিভাজ্য সত্তা বুলি ধৰিব লাগে; ইয়াৰ কোনো দাবী বা কোনো সমস্যাকেই আঞ্চলিক পটভূমিত চাব নালাগে। সেয়েই যদি হয়, তেন্তে কোনো এক বিশেষ অঞ্চলৰ ৰেল-পথে লোকচান ভৰিলে বুলিয়েই তাৰ কোনো পৰিবৰ্তন বা শ্ৰীবৃদ্ধি হ'ব নালাগে কিয়? প্ৰত্যেক অঞ্চলৰ উন্নতি সাধন কৰাটো কেৱল সেই অঞ্চলৰ সুকীয়া দায়িত্ব নেকি? অসমৰ ৰেল-পথে যদি লোকচান ভৰি থকাৰ কাৰণেই ইয়াক উন্নত কৰা সম্ভৱ হোৱা নাই, তেন্তে লাভ কৰিবলৈ সমৰ্থ হোৱা ভাৰতৰ বাকী অঞ্চলৰ পৰা টকা আনি ইয়াৰ উন্নতিৰ কাৰণে খৰচ কৰা হোৱা নাই কিয়? এইটো কি ধৰণৰ সৰ্ব-ভাৰতীয়তা-বাদ যি সৰ্বভাৰতীয়তাবাদে দৰিদ্ৰ আৰু অনগ্ৰসৰ ৰাজ্যবোৰৰ উন্নতিৰ কোনা দায়িত্ব নলৈ লাভখোৰ চোৰাং-বেপাৰীৰ দৰে কেৱল লাভ-ক্ষতিৰ কড়া-ক্ৰান্তিৰেই হিচাব কৰে?

দেশ স্বাধীন হোৱাৰ সুদীৰ্ঘ তেইশ বছৰৰ ভিতৰত অসমত ৰেল-পৰিবহন ব্যৱস্থাৰ কোনো উন্নতি নহ'ল, এক ইঞ্চিও ৰেল-পথ নাবাঢ়িল, উল্লেখযোগ্য কোনো বৃহৎ উদ্যোগ স্থাপিত নহ'ল, ইয়াৰ প্ৰাকৃতিক সম্পদক শিল্পায়নৰ কামত লগোৱাৰ কোনো ব্যৱস্থা নহ'ল— আৰু নিজস্ব তেল-পুং নোহোৱা কেতবোৰ ৰাজ্যই যি স্থলত ২ মিলিয়ন বা তাতোকৈ অধিক খাৰুৱা তেল শোধন কৰিব পৰা শোধনাগাৰ পালে, তেনে স্থলত তেলৰ ৰাজ্য অসমে পালে মাত্ৰ ৭ লাখ ৫০ হাজাৰ টনৰ এটা পুতলা শোধনাগাৰ। অদূৰ ভৱিষ্যততো অসমৰ বৰ্ত্তমান অৱস্থাৰ পৰিবৰ্ত্তন হোৱাৰ বিন্দুমাত্ৰ আশা নাই। সমাজবাদী ৰেলৰেমন্ত্ৰী নন্দৰ উক্তিয়েই তাৰ প্ৰমাণ। ভাৰতৰ লগত অসমৰ ৰেল-সংযোগ যদি উন্নত কৰা নহয় আৰু ব্ৰডগজ ৰেল-পথ তিনিচুকীয়া পৰ্য্যন্ত সম্প্ৰসাৰিত কৰা নহয়, তেন্তে অসমত মূলধন খটুৱাবলৈ বা বৃহৎ উদ্যোগ স্থাপন কৰিবলৈ কোন আগবাঢ়ি আহিব? বৃহৎ উদ্যোগ স্থাপিত নহ'লে ইয়াত মূলধন গঠিত হ'ব কেনেকৈ, বা নিবনুৱা সমস্যাৰ সমাধান হ'ব কেনেকৈ? এইবোৰ হ'বৰ কোনো উপায় নাই। অতএব এই কথা নিশ্চিত যে অসমৰ ভৱিষ্যত অন্ধকাৰ।

কিন্তু প্ৰশ্ন হৈছে— ভাৰত চৰকাৰে সকলো জানি-শুনিও অসমক এনেভাৱে অৱহেলা কৰাৰ কাৰণ কি? ভাৰত চৰকাৰে নিজেই মুখ খুলি এই প্ৰশ্নৰ উত্তৰ দিবলৈ আগবাঢ়ি নহালৈকে আমি কেৱল এটা কাৰণহে অনুমান কৰি ল'ব পাৰোঁ। সেইটো হৈছে এই যে ১৯৬২ চনৰ চীনা আক্ৰমণৰ ৰূঢ় আঘাতৰ পাচত ভাৰত চৰকাৰে আৰু লগতে ভাৰতৰ পুঁজিপতি শ্ৰেণীটোৱেই অসমক ভাৰতৰ ভিতৰত ৰাখি যাব পাৰিম বুলি সমূলি বিশ্বাস কৰিব পৰা নাই। বস্তুতৰে মনত এই ধাৰণা বদ্ধমূল হৈ গৈছে যে ১৯৬২ চনত ব'মদিলাৰ পতনৰ পাচত জৱাহৰলাল নেহৰুৱে অসমক বিদায় দি যি কুখ্যাত ভাষণ দিছিল, সি কেৱল ক্ষণিকৰ উত্তেজনা বা আৱেগ নাছিল; সি প্ৰকৃততে আছিল অসম সম্পৰ্কে কেন্দ্ৰীয় নে[illegible] দীৰ্ঘদিনৰ পুঞ্জীভূত দুশ্চিন্তা বা আশংকাৰ আকস্মিক বহিৰ্প্ৰকাশ মাত্ৰ। বঙ্গদেশৰ নক্সালপন্থী কা[illegible] আৰু অসমৰ পাহাৰ-অঞ্চলৰ দীৰ্ঘ-স্থায়ী অশান্তিয়ে অসম সম্পৰ্কে কেন্দ্ৰৰ উদ্বেগ দুগুণে বঢ়াই তুলিছে। অসমক ভাৰতৰ লগত সংযুক্ত কৰি ৰখা ক'ৰিডৰটো ইমান ঠেক আৰু ৰেল-সংযোগ ইমান নিশকতীয়া যে তাক টিপা মাৰি ছিঙি পেলাবলৈ বেছি পৰ নালাগিব; সেই অৱস্থাৰ সুযোগ ল'বলৈ দেশৰ বাহিৰত চীন আৰু পাকিস্থানৰ দৰে শত্ৰু ৰাষ্ট্ৰ আৰু শত্ৰুক সহায় কৰিবলৈ দেশৰ ভিতৰতে নক্সালপন্থীৰ পৰা আৰম্ভ কৰি বিদ্ৰোহী নগা-মিজো আদি লোকসকল আছেই। কেন্দ্ৰীয় নেতৃবৰ্গ আৰু পুঁজিপতি শ্ৰেণীটোৱে দিনে-ৰাতিয়ে দুঃস্বপ্ন দেখিব লাগিছে যে এদিন নহয় এদিন অসমকে ধৰি এই সমগ্ৰ পূৰ্বাঞ্চলটো দ্বিতীয় এখন ভিয়েটনামত পৰিণত হ'বই; সেই ভয়তে কেন্দ্ৰীয় চৰকাৰে অসমত ডাঙৰ তেল-শোধনাগাৰ পাতিব নোখোজে, ডাঙৰ উদ্যোগ স্থাপন কৰিব নোখোজে, ব্ৰডগজ ৰেলপথ সম্প্ৰসাৰণ কৰি টকা পানীত পেলাব নোখোজে; লগতে ব্যক্তিগত পুঁজিপতিসকলেও অসমত মূলধন বিনিয়োগ কৰি কোনো অনিশ্চিত বিপদৰ বোজা মূৰ পাতি ল'ব নোখোজে।

বানপানী

মানৱ সভ্যতাৰ উত্থান-পতনৰ বিষয়ে বিভিন্ন ঐতিহাসিকে নানা ব্যাখ্যা দিছে। অৱ কোনোটোকেই সম্পূৰ্ণ সঁচা বুলি যেনেকৈ নিৰ্বিবাদে গ্ৰহণ কৰিব নোৱাৰি, ঠিক তেনেকৈ কোনোটোকেই সমূলি মিছা বুলি অস্বীকাৰো কৰিব নোৱাৰি। প্ৰত্যেকটো ব্যাখ্যাতেই অলপ নহয় অলপ সত্যতা আৰু চিন্তা কৰিবলগীয়া থাকে। আৰ্ণল্ড টয়নবীয়ে পৃথিবীৰ চাব্বিশটা সভ্যতাৰ উত্থান-পতনৰ ইতিহাস বিশ্লেষণ কৰি এই সিদ্ধান্তত উপনীত হৈছে যে মাজে মাজে প্ৰত্যেক সভ্যতালৈকে একোটা চেলেঞ্জ বা প্ৰত্যাহ্বান আহে; যি সভ্যতাই নিজৰ অন্তৰ্নিহিত শক্তিৰ পৰিচয় দি সেই প্ৰত্যাহ্বানত উপযুক্তভাৱে সঁহাৰি দিব পাৰে, সেই সভ্যতাই জীয়াই থাকে বা বিকশিত হয়; সঁহাৰি দিব নোৱৰা সভ্যতাবোৰ মৰহি শুকাই অৱশেষত এদিন নিশ্চিহ্ন হৈ যায়।

আৰ্য্যসকল ভাৰতলৈ অহাৰ আগতে দ্ৰাবিড়সকলে এই দেশত এক অতি উন্নত সভ্যতা গঢ়ি তুলিছিল। হৰপ্পা আৰু মহেঞ্জোদাৰোৰ ধ্বংসাৱশেষে আজিও তাৰ সাক্ষ্য বহন কৰিছে। বহুতো পণ্ডিতে অনুমান কৰে যে এই সভ্যতা অকালতে নিশ্চিহ্ন হৈ যোৱাৰ এটা মাই কাৰণ হ'ল বানপানীৰ উপদ্ৰৱ। গ্ৰীক সভ্যতাও নিবীৰ্য্য হৈ হৈ অৱশেষত এদিন ধ্বংসপ্ৰাপ্ত হোৱাৰ প্ৰধান কাৰণ মেলেৰীয়া ৰোগৰ প্ৰাদুৰ্ভাৱ বুলি কিছুমান পণ্ডিতৰ ধাৰণা। প্ৰাচীন মিচৰীয় সভ্যতাই অৱশ্যে পিৰামিড নিৰ্মাণৰ উন্মাদ বাসনাত অন্ধ হৈ নিজৰ জন-সম্পদ আৰু ধন-সম্পদ উজাৰ কৰি খৰচ কৰি প্ৰায় আত্মহত্যাই কৰিছিল বুলি ক'ব লাগে।

সি যি কি নহওক, মানুহৰ বিকাশৰ এটা ডাঙৰ নিয়ামক শক্তি হৈছে পৰিৱেশৰ লগত মানুহৰ সম্পৰ্ক। পৰিৱেশ যেতিয়া অনুকূল হয়, তেতিয়া স্বাভাৱিকতেই মানুহৰ বিকাশো সহজ আৰু বাধাহীন হয়। কিন্তু কেতিয়াবা এনেকুৱাও হয় যে প্ৰতিকূল পৰিৱেশতহে মানুহৰ বুদ্ধি-বৃত্তি বেছি বিকশিত হয় আৰু ফলস্বৰূপে মানুহে উন্নততৰ জীৱন আৰু সমৃদ্ধতৰ সভ্যতা গঢ়ি তুলিবলৈ সমৰ্থ হয়। গতিকে প্ৰতিকূল পৰিৱেশ মানুহৰ যোগ্যতাৰ এটা পৰীক্ষা হৈ পৰে।

ব্ৰহ্মপুত্ৰ নদী ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহৰ কাৰণে আজি এটা পৰীক্ষা— এটা ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। যোৱা কুৰি বছৰ ধৰি এই নদীয়ে বছৰি কোটি কোটি টকাৰ শস্য হানি কৰি আৰু হাজাৰ হাজাৰ বিঘা মাটি নিজৰ বুকুত গ্ৰাস কৰি অসমৰ অৰ্থনৈতিক জীৱন বিপৰ্য্যস্ত কৰি তুলিছে। বানপানী আৰু গৰা-খহনীয়াৰ অত্যাচাৰত মানুহ এনেভাৱে জুৰুলা হৈ পৰিছে যে আৰু কিছুকাল এনেভাৱে চলিবলৈ হ'লে অসমীয়া সভ্যতা-সংস্কৃতিৰ মাই ভেটি স্বৰূপ অসমীয়া খেতিয়ক সমাজৰ ৰাজহাড় একেবাৰে ভাগি যাব আৰু অসমীয়া জাতিৰ অস্তিত্বই সঙ্কটাপন্ন হৈ পৰিব। অসমীয়া জাতিয়ে যদি নিজৰ মাটি-ভেটি টনকিয়াল কৰি জীয়াই থাকিব খোজে, তেন্তে ব্ৰহ্মপুত্ৰৰ এই প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগিব, আৰু তাৰ বিপুল ধ্বংসকাৰী শক্তিক সৃষ্টিশীল শক্তিলৈ ৰূপান্তৰিত কৰি প্ৰকৃতিৰ ওপৰত মানুহৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব লাগিব।

আগৰ দিনত প্ৰকৃতিৰ বিৰুদ্ধে যুদ্ধত মানুহ প্ৰায় নিৰস্ত্ৰ আছিল, আৰু সেয়ে প্ৰকৃতি অধিক হিংস্ৰ আৰু প্ৰতিকূল হ'লেই মানুহে প্ৰায় বিনাযুদ্ধে হাৰ মানিছিল। আজি মানুহ নিৰস্ত্ৰ নহয়। প্ৰকৃতিক বশ মনাবলৈ

মানুহৰ হাতত আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ দৰে ডাঙৰ অস্ত্ৰ আছে। কিন্তু দুখৰ কথা যে ব্ৰহ্মপুত্ৰক বশ মনাবলৈ আমি আজিলৈকে উচ্চ কল্পনা-শক্তি আৰু আধুনিক প্ৰযুক্তি-বিদ্যাৰ সহায় লোৱা নাই; ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকৰী শক্তিৰ বিৰুদ্ধে আমি যুঁজ কৰিছোঁ কল্পনা-শক্তিহীন মন্ত্ৰীৰ বক্তৃতা আৰু দেশপ্ৰেমহীন ইঞ্জিনিয়াৰৰ বালিৰ বান্ধ আৰু অৰ্থগৃধ্নু ঠিকাদাৰৰ শঠতা আৰু চৌৰ্য্য-বিদ্যাৰ সহায়েৰেহে। এইখিনি কথা যে কেৱল আমাৰহে মনৰ ভাব এনে নহয়; অসমৰ বানপানী প্ৰপীড়িত সকলো ৰাইজেই আমাৰ দৰেই ভাবে। অহা সপ্তাহৰ সাপ্তাহিক নীলাচল পঢ়িলেই অসম চৰকাৰৰ বান-নিয়ন্ত্ৰণ বিভাগৰ কাম-কাজ সম্পৰ্কে ৰাইজৰ মনোভাব পাঠকসকলে জানিব পাৰিব। যোৱা কুৰি বছৰ ধৰি ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণ কৰিবলৈ অসম চৰকাৰে টকাৰো এটা সৰু-সুৰা বানপানীৰ সৃষ্টি কৰিছে; ব্ৰহ্মপুত্ৰৰ বানপানীয়ে হাজাৰ হাজাৰ বিঘা মাটি আৰু কোটি কোটি টকাৰ শস্য উটুৱাই নি সাগৰ পোৱাইছেগৈ, আনহাতে ইটো বানপানীয়ে ৰাজ-কোষৰ কোটি কোটি টকা উটুৱাই নি পোৱাইছেগৈ ঠিকাদাৰ আৰু তেওঁলোকৰ অংশীদাৰসকলৰ জেপ। এই টকাৰ বানপানীয়ে অসমৰ প্ৰশাসনীয় নৈতিকতা আৰু ৰাজনৈতিক জীৱন কলুষিত কৰাত কি ধৰণৰ ভূমিকা লৈছে সেই ইতিহাস চিৰকাল অলিখিত হৈয়ে থাকিব।

অহা ২৪ জুলাই তাৰিখে ব্ৰহ্মপুত্ৰ কমিচনৰ শুভ-উদ্বোধন হ'ব। আমি ধৰি লৈছোঁ যে সেইদিনাই প্ৰকৃততে ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰিত কৰাৰ প্ৰথম বৈজ্ঞানিক প্ৰচেষ্টাৰ সূচনা হ'ব। কিন্তু ই যাতে কণা হাঁহক পতান ধান দি আভুৱা-ভৰাৰ নিচিনা নহয় বা অৰ্থাভাৱৰ অজুহাতত যাতে কমিচনৰ কাম-কাজ পদে পদে ব্যাহত নহয়— তাৰ কাৰণে অসমৰ জনসাধাৰণৰ প্ৰচণ্ড ইচ্ছা-শক্তিৰ প্ৰয়োজন হ'ব। অসমৰ অৰ্থনৈতিক স্বাৰ্থৰ কাৰণে ব্ৰহ্মপুত্ৰ নদীৰ নিয়ন্ত্ৰণৰ ওপৰত যিমানখিনি গুৰুত্ব দিয়া উচিত, সিমানখিনি গুৰুত্ব অসমৰ মানুহে এতিয়ালৈকে দিয়া নাই। আমি উপলব্ধি কৰিবলৈ যত্ন কৰা উচিত যে ব্ৰহ্মপুত্ৰৰ লগতেই আমাৰ ভৱিষ্যত অবিচ্ছেদ্যভাৱে জড়িত হৈ আছে।

সাপ্তাহিক নীলাচল, ৯৩ সংখ্যা : ২৯ জুলাই, ১৯৭০

এটা নিৰ্বোধ চৰকাৰী নীতি

অসম চৰকাৰৰ শিক্ষা বিভাগৰ এটা নিৰ্বোধ আৰু অদূৰদৰ্শী নীতিৰ ফলত অসমৰ শিক্ষানুষ্ঠানবোৰত নানা বেমেজালিয়ে দেখা দিছে। সেই ভুল নীতিটো হৈছে কোনো এখন স্কুল বা কলেজৰ অধ্যক্ষজনে অবসৰ লোৱাৰ পাচত তেওঁৰ খালী পদটো অনিৰ্দিষ্ট কালৰ কাৰণে অস্থায়ীভাৱে পূৰণ কৰি ৰখাৰ ব্যৱস্থা। কোনো এজন লোকক অস্থায়ীভাৱে এটা শিক্ষানুষ্ঠানৰ দায়িত্ব ল'বলৈ দিয়াৰ ফলত একাধিক ক্ষেত্ৰত কু-ফল আৰু বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এনে অস্থায়ী ব্যৱস্থা দুই-এসপ্তাহ বা আনকি এমাহৰ কাৰণে হ'লেও কোনো কথা নাছিল, কিন্তু বেছিভাগ ক্ষেত্ৰতেই দেখা যায় যে এনে অস্থায়ী ব্যৱস্থা বছৰৰ পাচত বছৰ ধৰি চলি থাকে। যোৰহাট ইঞ্জিনিয়াৰিং কলেজেই তাৰ প্ৰমাণ। অসমৰ বৃহত্তম আৰু প্ৰাচীনতম চৰকাৰী কলেজ কটন কলেজতো যোৱা ন-মাহ ধৰি এজন অস্থায়ী অধ্যক্ষইহে কাম চলাই আছে। বিচাৰিলে এনেকুৱা উদাহৰণ আৰু নিশ্চয় বহুতো ওলাব। এনে জোৰা-টাপলি দিয়া ব্যৱস্থাৰ পৰিণতি স্বৰূপে যিবোৰ কু-ফল হয়, তাৰ ভিতৰত প্ৰথমটো হ'ল এয়েই যে অনিশ্চিত ভৱিষ্যত সমুখত লৈ কোনো মানুহেই অখণ্ড নিষ্ঠা আৰু আন্তৰিকতাৰ সৈতে অনুষ্ঠানৰ সেৱা কৰিব নোৱাৰে; ফলত কেইবামাহ বা কেইবা বছৰৰ কাৰণে শিক্ষানুষ্ঠানটো অধ্যক্ষৰ সম্পূৰ্ণ সেৱা আৰু মনোযোগৰ পৰা বঞ্চিত হয়। দ্বিতীয়তে, কেইবা মাহ বা কেইবা বছৰ অনুষ্ঠানটোৰ মুৰব্বী হৈ থকাৰ পাচত তেওঁ যদি সেই আসন এৰি দি তলতীয়া পদলৈ নামি আহিব লগা হয়, তেন্তে চিৰকালৰ কাৰণে তেওঁৰ মনত এটা ক্ষোভ থাকি যায়, আৰু তাৰ ফলত ভৱিষ্যতে তেওঁৰ কৰ্তব্যবোধত এটা শিথিলতা আহি পৰিব পাৰে। তদুপৰি ই তেওঁৰ যোগ্যতাৰ ওপৰতো এটা বিৰূপ মন্তব্যৰ দৰে হয় আৰু তাৰ দ্বাৰা ছাত্ৰসকলৰ আগত তেওঁক হেয় প্ৰতিপন্ন কৰা হয়। এজন শিক্ষকৰ কাৰণে ইয়াতকৈ ডাঙৰ ক্ষতি আন একোৱেই হ'ব নোৱাৰে। তৃতীয়তে, এটা পদ অনিৰ্দিষ্ট কালৰ কাৰণে খালী ৰাখি বহুতো প্ৰাৰ্থীৰ মনত নানা অহেতুক প্ৰত্যাশা জগাই তোলা হয়, তিক্ত প্ৰতিযোগিতাৰ মনোভাব সৃষ্টি কৰা হয়, আৰু লগতে ওপৰ মহলত ধৰা-ধৰি কৰিবলৈ আৰু অবাঞ্ছনীয় প্ৰভাব খটুৱাবলৈ সুবিধা দি এটা অসুস্থ বাতাবৰণ সৃষ্টি কৰা হয়। এই সকলোবোৰৰে সম্মিলিত প্ৰভাৱ শিক্ষাৰ বিকাশৰ কাৰণে কেতিয়াও মঙ্গলজনক হ'ব নোৱাৰে।

আজি দুবছৰমান আগতে বিলাতৰ বিখ্যাত লণ্ডন স্কুল অৱ্ ইকনমিক্সৰ অধ্যক্ষৰ পদ পূৰণৰ বিষয়ে বাতৰি কাকতত এটা খবৰ পঢ়িছিলো। তাৰ অধ্যক্ষজনৰ অবসৰ ল'বলৈ এবছৰমান সময় থাকোতেই তেওঁৰ উত্তৰাধিকাৰীজনক নিৰ্বাচিত কৰা হৈ গৈছিল, আৰু অধ্যক্ষজনে অবসৰ ল'বৰ দিনাখনেই তেওঁৰ উত্তৰাধিকাৰীজনে অধ্যক্ষৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। ই যে এটা উত্তম আৰু দূৰদৰ্শী ব্যৱস্থা সেই বিষয়ে কোনো সন্দেহ নাই। যথাসময়ৰ বহু আগতেই যদি এনেভাৱে উত্তৰাধিকাৰীজনে নিৰ্বাচিত হৈ থাকে, তেন্তে তেওঁ বহু আগৰে পৰা অনুষ্ঠানৰ পৰিচালনা ব্যৱস্থাৰ লগত নিবিড়ভাৱে পৰিচিত হ'বলৈ সুবিধা আৰু উৎসাহ পায়; লগতে তেওঁ নিজস্ব আদৰ্শ আৰু পৰিকল্পনাৰে অনুষ্ঠানটোৰ উত্তৰোত্তৰ উন্নতি সাধন কৰিবলৈ আগতীয়া পৰিকল্পনা কৰিবৰ সময় পায়। এইটো এটা বৰ দৰকাৰী কথা। প্ৰত্যেকটো শিক্ষানুষ্ঠানৰ ওপৰত অধ্যক্ষজনৰ

ব্যক্তিত্ব আৰু নিজস্ব ধ্যান-ধাৰণাৰ চাপ পৰে। সেয়ে নোহোৱা হ'লে ৰাম-শ্যাম-হৰি যিকোনো মানুহেই যিকোনো শিক্ষানুষ্ঠানৰ গুৰিয়াল হ'ব পাৰিলেহেঁতেন, আৰু অধ্যক্ষ পদৰ কাৰণে যোগ্যলোক বাছি উলিয়াবৰ বাবে চৰকাৰৰ শিক্ষা বিভাগে বা পৰিচালক মণ্ডলীয়ো গলদঘৰ্ম হ'ব লগা নহ'লহেঁতেন। গতিকে উত্তৰাধিকাৰীজনক যদি ছমাহ বা এবছৰৰ আগৰে পৰাই মানসিকভাৱে প্ৰস্তুত হ'বলৈ সময় দিয়া হয়, তেন্তে অনুষ্ঠানটোৰ সু-পৰিকল্পনাৰ কাৰণে তেওঁক যথোচিত যোগ্যতা অৰ্জন কৰিবলৈকো সুবিধা দিয়া হয়।

অসম চৰকাৰে এনে এটা ব্যৱস্থা কিয় ল'ব নোৱাৰে, সেই কথা আমি বুজি নাপাওঁ। এনে ধৰণৰ নিযুক্তিৰ কাৰণে বিচাৰ্য্য বিষয় মাত্ৰ দুটা, এটা হ'ল জ্যেষ্ঠতা, আনটো যোগ্যতা। কোন অনুষ্ঠানৰ অধ্যক্ষই কেতিয়া অৱসৰ ল'ব, সেই কথা আগতে বিচাৰ কৰি উলিয়াই ৰখাটো একো টান কাম নহয়। সেই হিচাব মতে উত্তৰাধিকাৰীজনকো যদি আগতীয়াকৈ নিৰ্বাচন কৰি থৈ দিয়া হয়, তেতিয়া দায়িত্বৰ হস্তান্তৰ অতি সুগম হয় আৰু জোৰা-টাপলি মৰা অস্থায়ী ব্যৱস্থাৰ নানাবিধ কু-ফলৰ পৰাও অনুষ্ঠানটোক ৰক্ষা কৰা হয়। অকল চৰকাৰী শিক্ষানুষ্ঠানবোৰতহে যে এই কথা প্ৰযোজ্য এনে নহয়। বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি চৰকাৰী সাহায্য-প্ৰাপ্ত হাইস্কুললৈকে সকলো ক্ষেত্ৰতে এই কথা প্ৰযোজ্য। বিশেষকৈ চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলবোৰৰ প্ৰধান শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত গোটেই অসম জুৰি আজি যি বিশৃঙ্খলা, অৰিয়া-অঁৰি আৰু লেতেৰা ৰাজনীতিৰ সৃষ্টি হৈছে, সি অসমত শিক্ষাৰ পৰিৱেশ বিষাক্ত কৰি তুলিছে। তাৰ অৱসান ঘটোৱাৰ একমাত্ৰ উপায় হ'ল শিক্ষানুষ্ঠানৰ মুৰব্বীজনৰ অৱসৰ ল'বলৈ ছমাহ বা এবছৰ থাকোঁতেই তেওঁৰ উত্তৰাধিকাৰী নিৰ্বাচিত কৰি ৰাখিবৰ কাৰণে এটা সু-পৰিকল্পিত আৰু বিধিবদ্ধ নীতি গ্ৰহণ। মুঠতে অসম চৰকাৰে আৰু অন্যান্য শিক্ষানুষ্ঠানৰ পৰিচালকমণ্ডলীয়েও এনে এটা নীতি আৰু পন্থা উদ্ভাৱন কৰিব লাগে— যাৰ ফলত কোনো মানুহেই এদিনৰ কাৰণে হ'লেও কোনো শিক্ষানুষ্ঠান বা বিভাগৰ দায়িত্বত অস্থায়ীভাৱে থাকিব লগা নহয়।

নট্ বাই ব্রেড এলন

যোৱা সপ্তাহত ফণী শৰ্মাৰ মৃত্যু হ'ল আৰু তেওঁৰ মৃত্যুৰ লগে লগে অসমীয়া নাট্য-জগতৰ এটা যুগৰ অৱসান ঘটিল। এতিয়া নাটকৰ ধাৰা বদলিছে, অভিনয়-কলাৰ ক্ষেত্ৰতো নানা অভিনৱ পৰীক্ষা-নিৰীক্ষাৰ সূচনা হৈছে, দৰ্শকৰ ৰুচি-অভিৰুচিৰো উল্লেখযোগ্য পৰিবৰ্তন ঘটিছে। ফণী শৰ্মাৰ নিচিনা বিৰাট ব্যক্তিত্ব-সম্পন্ন আৰু নিষ্ঠাবান শিল্পীৰ জীৱন-জোৰা সাধনাৰ মাজেদি যি ধৰণৰ নাট্য-পৰম্পৰা মূৰ্ত হৈ উঠিছিল তাৰ প্ৰায় সামৰণি পৰি আহিছে। এনে এটা সময়ত ফণী শৰ্মাৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে অসমীয়া নাট্য-জগতৰ ওপৰতো দৃষ্টিপাত কৰাটো প্ৰাসঙ্গিক হ'ব বুলি আমি ভাবোঁ।

এই কথাত কোনেও বোধহয় দ্বি-মত নহ'ব যে অসমীয়া মানুহৰ চিন্তাত ৰাজনীতি আৰু অৰ্থনীতিয়ে যিমান ঠাই অধিকাৰ কৰিছে সেই অনুপাতে সাংস্কৃতিক প্ৰয়োজনৰ কথাই বিন্দুমাত্ৰহে ঠাই দখল কৰিছে। বাতৰি কাকত বা আলোচনীৰ পাত লুটিয়ালেই চিঠি-পত্ৰৰ শিতানত ৰাস্তা লাগে, দলং লাগে, চাউল-ডাইল লাগে বুলি নানা বৈষয়িক অভাৱ-অভিযোগৰ দাবীত হাজাৰখন চিঠি পঢ়িবলৈ পোৱা যায়, কিন্তু কিতাপ বা গান বা নাটক লাগে বুলি দাবী কৰি লিখা চিঠি কাচিৎহে চকুত পৰে। অথচ আমাৰ দেশত এইবোৰ বস্তুৰ প্ৰাচুৰ্য্য ঘটিছে বুলি কোনেও নিশ্চয় নকয়। এখন ভাল কিতাপ নপঢ়াকৈ বা এটা ভাল গান নুশুনাকৈ বা এখন ভাল নাটকৰ অভিনয় নেদেখাকৈয়ে লাখ লাখ মানুহৰ জীৱন শেষ হৈ যায়। জীৱনৰ কোনো দিন সাংস্কৃতিক ক্ষুধা বা প্ৰয়োজন অনুভৱ নকৰা এনে জীৱনৰ লগত গৰু-পশুৰ জীৱনৰ কিবা পাৰ্থক্য আছেনে? মানুহৰ মহত্বক (Dignity of man) প্ৰতিষ্ঠিত কৰাই হ'ল সভ্যতাৰ প্ৰধান লক্ষ্য কেৱল জৈবিক প্ৰয়োজন চৰিতাৰ্থ কৰিবৰ কাৰণে মানুহে যিবোৰ কাম কৰে, তেনেবোৰ কামৰ লগত পশু-স্বভাৱৰ কোনো পাৰ্থক্য নাই। কেৱল সঙ্গীত-নাটক-সাহিত্য চৰ্চাৰ নিচিনা সাংস্কৃতিক সাধনা আৰু সাংস্কৃতিক প্ৰয়োজনহে মানুহক তাৰ অনন্য মহত্ব দান কৰে। এই ফালৰ পৰা চাবলৈ গ'লে অসমীয়া সমাজৰ জীৱন অতি দৰিদ্ৰ আৰু অনুন্নত বুলি নিশ্চিত ক'ব লাগিব।

বিশেষভাৱে নাটকৰ কথাই ধৰা যাওক। প্ৰায় সাত হাজাৰ বছৰৰ আগতে প্ৰাচীন মিচৰত নাটকৰ গজালি ওলাবৰ দিন ধৰি আজি পৰ্য্যন্ত নাটক আৰু নাট্যাভিনয় সভ্য মানুহৰ জীৱনৰ এটা অপৰিহাৰ্য্য অঙ্গ হৈ আহিছে। আনন্দ উপভোগৰ কাৰণেই হওক বা এৰিষ্টটল কথিত কেথাৰচিচৰ কাৰণেই হওক বা প্ৰচাৰৰ মাধ্যম হিচাবেই হওক— ৰঙ্গমঞ্চক বাদ দি সভ্য সমাজৰ জীৱন কল্পনাই কৰিব নোৱাৰি। অসমতো মধ্য-যুগত নাটক আৰু ৰঙ্গমঞ্চৰ এটা গৌৰৱময় পৰম্পৰা গঢ়ি উঠিছিল। আধুনিক যুগৰো আৰম্ভণিতে এই ক্ষেত্ৰত যথেষ্ট প্ৰাণ-চাঞ্চল্য দেখা গৈছিল। কিন্তু দিন যোৱাৰ লগে লগে ই বিকশিত হৈ অহাৰ পৰিবৰ্তে শুকাই মৰহিহে আহিব ধৰিলে। যোৱা এশ বছৰৰ ভিতৰত ভাৰতৰ প্ৰায়বোৰ ঠাইতে প্ৰফেচনেল বা ব্যৱসায়ী ৰঙ্গমঞ্চ গঢ়ি উঠিল, আনকি ইম্ফলৰ নিচিনা এখন কম জন-বসতিৰ আওহতীয়া ঠাইতো বহু বছৰ ধৰি ব্যৱসায়ী ৰঙ্গমঞ্চ বিৰাজ কৰিছে, ব্যতিক্ৰম কেৱল সাংস্কৃতিক মৰুভূমি-সদৃশ অসম। ফণী শৰ্মাৰ জীৱনৰ আটাইতকৈ ডাঙৰ ট্ৰেজেডী এই নহয় যে তেওঁ অভিনয় কৰি অগাধ ঐশ্বৰ্য্যৰ মুখ নেদেখিলে বা ৰজা ঘৰৰ

পৰা ভাঙৰ খিটাপ নাপালে; তেওঁৰ সবাতোকৈ ডাঙৰ দুৰ্ভাগ্য হ'ল এইটোৱেই যে তেওঁৰ যিমানখিনি নিষ্ঠা আৰু প্ৰতিভা আছিল সেইখিনি মানুহৰ আগত প্ৰদৰ্শন কৰিবলৈ তেওঁ যথেষ্ট সুবিধা নাপালে। নিয়মীয়া অভিনয় অনুষ্ঠিত হোৱা এটা ব্যৱসায়ী ৰঙ্গ-মঞ্চ বা জাতীয় নাট্যশালা থকা হ'লে ফণী শৰ্মাৰ অসামান্য সহজাত প্ৰতিভাই বিকাশৰ পৰিপূৰ্ণ সুযোগ পালেহেঁতেন আৰু অসমীয়া সাংস্কৃতিক জীৱনো অপৰিমেয়ভাৱে সমৃদ্ধ হ'লহেঁতেন।

প্ৰস্তাৱিত জাতীয় নাট্য-শালাৰ কি গতি হ'ল। গ্ৰীক পুৰাণৰ ৰজা মিডাচে যি বস্তুতে হাত দিয়ে সিয়েই সোণ হোৱাৰ দৰে আমাৰ মানুহে যি বস্তুতে হাত দিয়ে সিয়েই গোবৰ হয়নেকি? 'যত দোষ নন্দ ঘোষ' হোৱাৰ দৰে আমাৰ মানুহে নিজৰ সমস্ত অযোগ্যতা, অসততা আৰু ব্যৰ্থতাৰ গ্লানিৰ বোজা চৰকাৰৰ গাতে জাপি দি নিজে বিবেকৰ দংশনৰ পৰা হাত সাৰে আৰু সমাজক ফাঁকি দিয়ে। এটা মাত্ৰ উদাহৰণ দিওঁ। যোৱা বছৰ পূজাৰ প্ৰায় এমাহমানৰ আগতে গুৱাহাটীৰ এজন প্ৰবীণ নাট্যকাৰ আৰু অভিনেতাই নীলাচলৰ সম্পাদকৰ ওচৰলৈ আহি কথা প্ৰসঙ্গত ক'লে যে তেওঁলোকে পূজাত জিলা পুথিভঁৰালত এখন থিয়েটাৰ পাতিব খোজে, কিন্তু মাত্ৰ এৰাতিৰ কাৰণেই আঢ়ৈশ টকা ভাড়া আগতে আদায় দিব লাগে কাৰণেই তেওঁলোকে আগবাঢ়িবলৈ সাহ কৰিব পৰা নাই। মাত্ৰ আঢ়ৈশ টকাৰ কাৰণেই এই প্ৰবীণ অভিনেতাসকলে অভিনয় কৰিব নোৱাৰিব— সেইটো নিশ্চয় বৰ দুখ লগা কথা। নীলাচলৰ সম্পাদকে তেতিয়া গাত ল'লে যে তেওঁ স্বয়ং মুখ্যমন্ত্ৰীক অনুৰোধ কৰি ভাড়াটো মাফ কৰি দিয়াবলৈ চেষ্টা কৰিব, তথাপি তেওঁলোকে অভিনয় কৰিব লাগিব। সেইমতে নীলাচল সম্পাদকে নিজৰ কৰ্মোপলক্ষ্যে চিলঙলৈ যাওঁতে মুখ্যমন্ত্ৰীক লগ ধৰিলে আৰু সম্পাদকৰ যুক্তিত পতিয়ন গৈ মুখ্যমন্ত্ৰীয়েই ভাড়াখিনি মাফ কৰি দিবলৈ সন্মত হ'ল। তেওঁ কেৱল ক'লে যে উদ্যোক্তাসকলে তেওঁলৈ এখন আবেদন কৰিব লাগিব। উপৰোক্ত প্ৰবীণ অভিনেতাজনক সেই কথা জনোৱা হ'ল, কিন্তু মাত্ৰ আঢ়ৈশ টকা ভাড়া দিব নোৱাৰাৰ কাৰণেই অভিনয় কৰিবলৈ আগবাঢ়িব নোৱৰা অভিনেতাজনে ভাড়াখিনি মাফ পোৱাৰ আশ্বাস পায়ো সেই বিষয়ত অকণো আগ নাবাঢ়ি সম্পূৰ্ণ নিতাল মাৰিলে। লাভৰ মূৰত নীলাচলৰ সম্পাদক অযথা মুখ্যমন্ত্ৰীৰ ওচৰত লঘু হ'ব লগা হ'ল।

কোৱা বাহুল্য মাথোন যে আমাৰ বিভিন্ন অনুষ্ঠানত এনেকুৱা বহুতো লেজুত ধৰি বল নিদিয়া মানুহ আছে কাৰণেই এইবোৰ অনুষ্ঠানে একো অগ্ৰগতি লাভ কৰিব পৰা নাই আৰু চৰকাৰে আগবঢ়োৱা সীমিত সা-সুবিধাৰো অকণো সদ্ব্যৱহাৰ হোৱা নাই।

অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ সকলো বিভাগৰ ভিতৰত নাটক আৰু ৰঙ্গমঞ্চই এতিয়া সম্পূৰ্ণ মৰা-মুজা অৱস্থাত আছে। এইবোৰ সঞ্জীৱিত কৰাৰ প্ৰধান উপায় চৰকাৰৰ পৃষ্ঠপোষকতা নহয়; প্ৰধান উপায় হ'ল সমাজৰ সক্ৰিয় পৃষ্ঠপোষকতা, সাংস্কৃতিক চেতনা আৰু শিল্পীসকলৰ অদম্য মনোবল। আধুনিক কালত পৃথিৱীৰ সকলো দেশতেই ব্যৱসায়ী ৰঙ্গমঞ্চ হ্ৰাস হৈ আহিছে, কিন্তু নাট্য-আন্দোলন জীয়াই ৰাখিছে চৌখিন নাট্যগোষ্ঠী আৰু কলেজ-বিশ্ববিদ্যালয়ৰ নাট্য-গোষ্ঠীসমূহে। অসমতো খেলা-ধূলাৰ লগতে নাট্য কলাকো উৎসাহ দিবৰ কাৰণে প্ৰত্যেকখন কলেজ আৰু বিশ্ববিদ্যালয়তে ড্ৰামাটিক্ ক্লাব বা নাট্যগোষ্ঠী সৃষ্টি হোৱাৰ দৰকাৰ আৰু এইবোৰ খেলা-ধূলাৰ ক্ষেত্ৰত পোৱাৰ দৰে চৰকাৰৰ পৰা অৰ্থ মঞ্জুৰী বা মাচুল যোগে অৰ্থ সাহায্য পোৱা উচিত। যি প্ৰকাৰেই নহওক, অসমৰ নাট্য জগতখন সঞ্জীৱিত কৰি তোলাটো আমাৰ এটা প্ৰধান জাতীয় কৰ্তব্য।

সাপ্তাহিক নীলাচল, ৯৫ সংখ্যা : ১২ আগষ্ট, ১৯৭০

তেইশ বছৰৰ আগত আৰু পাচত

তেইশ বছৰৰ আগতে আমাৰ পিচত আছিল দাসত্ব আৰু অপমানৰ আমানিশা সমুখত আছিল এক নতুন সূৰ্য্যোদয়ৰ অৰুণ-আভাস। তেইশ বছৰৰ পাচত আমাৰ পিচত পৰি আছে অজস্ৰ আশা-ভঙ্গ আৰু ভুল-ভ্ৰান্তিৰ জঞ্জাল-স্তূপ আমাৰ সমুখত আছে অনিশ্চিত ভৱিষ্যতৰ আতঙ্ক। তেইশ বছৰৰ আগতে আমাৰ লক্ষ্য-পথৰ দিগন্ত-ৰেখা আছিল আশাৰ সোণালী পোহৰেৰে উজ্জ্বল আৰু নিৰ্মল; তেইশ বছৰৰ পাচত সি আজি নৈৰাশ্য আৰু সন্দেহৰ ভাৱৰেৰে ধোঁৱলী-কুঁৱলী। তেইশ বছৰৰ আগতে আমাৰ হৃদয়ত আছিল গৌৰৱময় মুক্তি-সংগ্ৰামৰ প্ৰেৰণাদায়ক স্মৃতি আৰু ভৱিষ্যতৰ মধুৰ স্বপ্ন; তেইশ বছৰৰ পাচত আমাৰ হৃদয়ত আছে কেৱল মোহ-ভঙ্গৰ যন্ত্ৰণা আৰু বিশ্বাসঘাতকতাৰ বিষ-স্মৃতি, ভৱিষ্যত সম্পৰ্কে ভয় আৰু দুৰ্ভাবনা। তেইশ বছৰ আগতে আমাৰ বুকুত আছিল গভীৰ আত্ম-বিশ্বাস আৰু সাহস; তেইশ বছৰৰ পাচত আজি আমাৰ আছে কেৱল বক্তাক্ত অন্তৰ্দ্বন্দ্ব আৰু কিংকৰ্তব্য-বিমূঢ়তা।

স্বাধীনতাই আমাক একো দিয়া নাই— এনে কথা কোৱাটো কেৱল সত্যৰ অপলাপ মাত্ৰ। জগত-সভাত মুক্ত মানুহৰ যি গৌৰৱময় অধিকাৰ আৰু অহঙ্কাৰ— স্বাধীনতাই সেইখিনি আমাক নিশ্চয় দিছে। পৰাধীন অৱস্থাত আমি আছিলোঁ কেৱল প্ৰজা(Subject), আজি আমি নাগৰিক(Citizen)। মৌলিক অধিকাৰহীন 'প্ৰজা'ৰ পৰা আধুনিক অৰ্থত 'নাগৰিক'ৰ পৰ্য্যায়লৈ সাধাৰণ মানুহৰ উত্তৰণৰ ইতিহাস সমগ্ৰ মানৱ-সভ্যতাৰ ইতিহাসৰ ই এটা তাৎপৰ্য্যপূৰ্ণ আৰু গৌৰৱময় অধ্যায়। আমাৰ কাৰণে স্বাধীনতাৰ ই এটা ডাঙৰ দান। বৈষয়িক ক্ষেত্ৰতো যে আমি একেবাৰে একো পোৱা নাই সেই কথা সঁচা নহয়। আমাৰ দেশত আগতকৈ আৰ্থিক উন্নয়নৰ কাম বেছি হৈছে, কল-কাৰখানা বেছি বাঢ়িছে, ৰাস্তা-ঘাট, স্কুল-চিকিৎসালয় নিৰ্মাণৰ নিচিনা জনকল্যাণমূলক কাম বেছি হৈছে, আগৰ তুলনাত লাখ লাখ বেছি ল'ৰা-ছোৱালী স্কুললৈ গৈছে, মানুহৰ আয়ুস বাঢ়িছে, আনকি সংখ্যাতত্ত্বৰ হিচাবত জনমূৰি আয়ো আগতকৈ বৃদ্ধি হৈছে। কিন্তু দুখৰ কথা যে ধান-চাউল যেনেকৈ কুইণ্টলৰ জোখত বা টকা-পইচা অঙ্কৰ সংখ্যাৰে হিচাব কৰিব পাৰি, মানুহৰ সুখ-শান্তি তেনেকৈ ওজন কৰাৰ কোনো উপায় নাই। সি কেৱল অনুভৱৰ কথা। এই অনুভৱ ক্ষমতা থকা লোকসকলে নিশ্চয় জানে যে চৰকাৰী সংখ্যা-তত্ত্বৰ হিচাবত দেশত কল-কাৰখানা বা খেতি-পথাৰ যিমানেই নাবাঢ়ক, মানুহৰ সুখ-শান্তি সেই অনুপাতে বঢ়া নাই। বৰঞ্চ আগতকৈ বহুত কমি গৈছে। এহাতে জনমূৰি আয় বহুত বাঢ়িছে বুলি সদম্ভে প্ৰচাৰ কৰা হৈছে, কিন্তু আনহাতে মুদ্ৰা-স্ফীতি, মূল্যমান, দুষ্প্ৰাপ্যতা আৰু একচেটিয়া চোৰাং কাৰবাৰীৰ শোষণো যে তাতোকৈ হাজাৰ গুণে বেছি বাঢ়িছে সেই কথা সযতনে গোপন কৰিবলৈ চেষ্টা কৰা হৈছে। তদুপৰি আমাৰ পিৰামিডৰ নিচিনা সমাজত স্বাধীনতাৰ সূৰ্য্যৰ পোহৰ কেৱল একেবাৰে মূধচত বাস কৰা সকলেহে ভোগ কৰিছে; তাৰ তলৰ খাপলৈ হয়তো সি কিছু কিছু বিৰিঙি আহিছে, কিন্তু তাৰ তলৰ বেছিভাগ স্তৰৰ মানুহৰ কাৰণেই সি এতিয়াও হৈ আছে জনৰব বা সাধুকথাৰ নিচিনা এটা বস্তু। সমাজৰ যি গৰিষ্ঠ-সংখ্যক কোটি কোটি মানুহ সেই পিৰামিডৰ একেবাৰে তলৰ খলপাত

বাস কৰে, তেওঁলোক এতিয়াও হৈ আছে চিৰ-অন্ধকাৰ পাতালৰ বাসিন্দা। তেওঁলোকৰ কাৰণে স্বাধীনতাৰ সূৰ্য্যৰ কোনো অস্তিত্ব নাই।

স্বাধীনতাৰ তেইশ বছৰৰ ভিতৰত দেশত কল-কাৰখানা বাঢ়িছে, স্কুল-কলেজ বাঢ়িছে, জনমুখি আয় বাঢ়িছে— এইবোৰ একেবাৰে সঁচা কথা। কিন্তু তাৰ লগে লগে আৰু কিছুমান বস্তুও বাঢ়িছে— সেইবোৰৰ হিচাবো মনত ৰখা উচিত। যোৱা তেইশ বছৰত ক্ৰমে ক্ৰমে দেশত ধৰ্মান্ধতা বাঢ়িছে, সাম্প্ৰদায়িক সংঘৰ্ষ বাঢ়িছে, হৰিজনৰ ওপৰত নিৰ্য্যাতন বাঢ়িছে, ধনী-দুখীয়াৰ পাৰ্থক্য বাঢ়িছে, একচেটিয়া ব্যৱসায় বাঢ়িছে, অৰ্থনৈতিক শোষণ বাঢ়িছে, ৰাজনৈতিক অসাধুতা বাঢ়িছে, বস্ত্ৰ-বস্তুৰ দৰ বাঢ়িছে, লাভখোৰ আৰু চোৰাং বেপাৰীৰ দৌৰাত্ম্য বাঢ়িছে, আমোলাতন্ত্ৰৰ পৰাক্ৰম বাঢ়িছে, প্ৰশাসনীয় দুৰ্নীতি বাঢ়িছে, নিবনুৱাৰ সংখ্যা বাঢ়িছে, ৰাজনৈতিক দলৰ সংখ্যা বাঢ়িছে— আৰু লগে লগে বাঢ়িছে মানুহৰ খং-হতাশা আৰু যন্ত্ৰণা। দেশৰ কোটি কোটি মানুহৰ মনত আজি এনেকুৱাই ধাৰণা হৈছে যে যোৱা তেইশ বছৰৰ জমা-খৰচৰ হিচাবত তেওঁলোকৰ ভাগত শূন্যৰ বাহিৰে বোধহয় আন একোৱেই নাই।

এই বিৰাট মোহ-ভংগ আৰু শূন্যতাবোধে আজি বহু মানুহক চৰম পথলৈ ঠেলি দিছে। সেই পথ ভুলনে শুদ্ধ তাৰ বিচাৰ-খোচাৰ হ'ব, কিন্তু যিবোৰ মানুহৰ কুবুদ্ধি আৰু বিশ্বাসঘাতকতাই দেশত এনে এটা অৱস্থাৰ সৃষ্টি কৰিলে তেওঁলোকে এদিন ইতিহাসৰ নিৰ্মম বিচাৰ মূৰ পাতি ল'বই লাগিব। আজি স্বাধীনতা দিৱসৰ প্ৰাক্কালত আমি এইকথা স্মৰণ কৰাটো উচিত হ'ব যে দেশৰ কোটি কোটি মানুহৰ কাৰণে স্বাধীনতা নামত আহিলেও কামত অহা নাই। গেটেই কৈছিল— যি মানুহে মিছাকৈয়ে নিজকে স্বাধীন বুলি ভাবে তাৰ নিচিনা পৰাধীন দাস আন কোনো নাই। আমি যেন সেই ভুল কদাপি নকৰোঁ। দেশৰ প্ৰতিজন নাগৰিকক দাসত্ব, শোষণ আৰু অন্যায়-অবিচাৰৰ নাগ-পাশৰ পৰা মুক্ত কৰিব নোৱাৰালৈকে আমাৰ স্বাধীনতাৰ সংগ্ৰাম অসমাপ্ত হৈয়েই থাকিব।

সাপ্তাহিক নীলাচল, ৯৬ সংখ্যা : ১৯ আগষ্ট, ১৯৭০

বিপদ-সঙ্কেত

নিবনুৱা সমস্যা কেৱল অসমৰ আঞ্চলীয়া সমস্যা নহয়। ই এটা সৰ্বভাৰতীয় সমস্যা। অলপতে লোক-সভাত হোৱা আলোচনাত বিৰোধী দলৰ সদস্যসকলে চৰকাৰৰ পৰা দেশৰ সৰ্বমুঠ নিবনুৱাৰ সংখ্যা জানিবলৈ বিচাৰিছিল। কিন্তু চৰকাৰে আচল হিচাব দিব নোৱাৰিলে। বিৰোধী সদস্যসকলৰ মতে নিবনুৱাৰ সংখ্যাই এনে ভয়াবহ আকাৰ ধাৰণ কৰিছে যে আচল হিচাব দিবলৈ চৰকাৰৰ সাহসেই নাই, কাৰণ এবাৰ সেই হিচাবটো সদৰী হৈ গ'লেই গোটেই দেশতে হুলস্থুল লাগি যাব, আৰু চৰকাৰী ৰাজপাট ভূমিকম্পত পৃথিৱী কঁপাৰ দৰে টল্-মল্ কৰি কঁপি উঠিব। এই কথা সকলোৱেই জানে যে অলপতে হৈ যোৱা বিলাতৰ সাধাৰণ নিৰ্বাচনৰ ঠিক আগে আগে নিবনুৱা লোকৰ প্ৰকৃত সংখ্যা প্ৰকাশ হৈ যোৱাটোও বনুৱা দলৰ ভাগ্য-বিপৰ্য্যয়ৰ অন্যতম মুখ্য কাৰণ। ভাৰত চৰকাৰে যি কাৰণত সমগ্ৰ দেশৰ নিবনুৱাৰ প্ৰকৃত সংখ্যা প্ৰকাশ কৰিব খোজা নাই, ঠিক সেই একে কাৰণতে অসম চৰকাৰেও নিবনুৱাৰ সংখ্যা প্ৰকৃত হিচাবতকৈ বহুত কমকৈ দেখুৱাবলৈ চেষ্টা কৰিছে। তাতোকৈ ডাঙৰ কথা— অসম চৰকাৰে নিবনুৱাৰ প্ৰকৃত সংখ্যা জানেনে নাজানে সেই বিষয়েই যথেষ্ট সন্দেহ আছে। অসম চৰকাৰে নিবনুৱাৰ সংখ্যাটো মুখ্যকৈ নিয়োগ-বিনিময় কেন্দ্ৰবোৰৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰিয়েই নিৰূপণ কৰিছে; কিন্তু এইটো দেখ-দেখ কথা যে ৰাজ্যখনৰ সৰ্বমুঠ নিবনুৱা লোকৰ আধাতকৈয়ো কম সংখ্যক লোকেহে নিয়োগ-বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰে। গাঁৱে-ভূঁএে থকা লাখ লাখ অৰ্ধ-শিক্ষিত ডেকা-গাভৰুৱে নিয়োগ-বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰাৰ কথা চিন্তাই নকৰে। তদুপৰি এনে কেন্দ্ৰত নাম ভৰ্ত্তি কৰা মানুহৰ ভিতৰত বহু হাজাৰ লোক থলুৱা মানুহ নহয়; সেইবোৰ অন্য ৰাজ্যৰ পৰা অসমলৈ অহা ভাগ্যান্বেষী লোক। এটা সূত্ৰৰ পৰা জনা গৈছে যে অলপতে অসম চৰকাৰে এখন গোপন চাৰ্কুলাৰ জাৰী কৰি বহিৰাগত লোকৰ নাম ভৰ্ত্তি নকৰিবলৈ নিয়োগ-বিনিময় কেন্দ্ৰবোৰক নিৰ্দ্দেশ দিছে। ইয়াৰ পৰাই বুজিব পাৰি যে যোৱা বহু বছৰ ধৰি বহিৰাগত ভাগ্যান্বেষী লোকেই অসম চৰকাৰৰ নিবনুৱাৰ সংখ্যা স্ফীত কৰি ৰাখিছে, প্ৰকৃত থলুৱা নিবনুৱা তাৰ পৰা বাদ পৰিয়েই ৰৈছে। মুঠতে অসম চৰকাৰৰ হাতত থলুৱা নিবনুৱাৰ প্ৰকৃত সংখ্যাটো নাই। সেই সংখ্যাটো যদি কেতিয়াবা তেওঁলোকে সংগ্ৰহ কৰি প্ৰকাশ কৰে, তেতিয়া অসমতো এটা মজলীয়া বিধৰ ভূমিকম্পই হ'ব, আৰু সেই ভূমিকম্পত বহুতো বস্তু ঠান্-বান্ হৈ চিটিকি পৰিব।

নিবনুৱা সমস্যাটো যদিও গোটেই দেশৰেই সমস্যা, তথাপি অসমত এই সমস্যাই উৎকত ৰূপ ধাৰণ কৰিছে। তাৰ মুখ্য কাৰণ হ'ল— ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ অনুপাতে অতিৰিক্ত মানুহৰ কৰ্ম-সংস্থান দিবলৈ অসমত ঔদ্যোগীকৰণৰ কোনো ব্যৱস্থাই লোৱা হোৱা নাই। নামত যি দুই-এটা উদ্যোগ স্থাপন হৈছিল, সেইবোৰত নিয়োগৰ পথ থলুৱা লোকৰ কাৰণে প্ৰায় বন্ধ বুলিয়েই ক'ব পাৰি। পৰিবহনৰ চিৰকলীয়া সমস্যাটো আছেই, তাৰ ওপৰত ৬২ চনৰ চীনা আক্ৰমণৰ পিচৰ পৰাই অসমত বৃহৎ পৰিমাণৰ বিনিয়োগ কৰিবলৈ কোনো শিল্পপতি আগবাঢ়ি আহিব খোজা নাই। বহুতো দেশে সৰু সৰু স্ব-নিযুক্ত উদ্যোগ স্থাপনৰ দ্বাৰাই নিবনুৱা সমস্যা কিছু পৰিমাণে সমাধান কৰিবলৈ সমৰ্থ হৈছে, কিন্তু অসমত অন্যান্য বহুতো বাস্তৱ অসুবিধাৰ উপৰিও উদ্যোগ বিভাগৰ চূড়ান্ত অকৰ্মণ্যতাৰ ফলতেই সেইটো কৰাও সম্ভৱ হৈ উঠা নাই। কৃষিৰ ক্ষেত্ৰত নিয়োগৰ সম্ভাৱনা বাঢ়ক চাৰি বিপজ্জনকভাৱে কমি যোৱাৰ সম্ভাৱনাইহে দেখা দিছে। কোনোবাই খেতি কৰিব খুজিলেও তেওঁক

দিবলৈ মাটি নাই। বৃহৎ মাটি-গিৰীৰ হাতৰ পৰা অতিৰিক্ত আৰু বিতৰণযোগ্য গোটেইখিনি মাটি উদ্ধাৰ কৰি চৰকাৰে মাটিহীন বাইজৰ মাজত ভগাই দিলেও নিবনুৱা সমস্যাটো যেনেভাৱে আছে ঠিক তেনেভাৱেই থাকি যাব, কেৱল মাটিৰ ওপৰত নিৰ্ভৰ কৰি নিবনুৱা সমস্যাৰ কেতিয়াও সমাধান হ'ব নোৱাৰে।

এনে অৱস্থাত উপায় কি? লাখ লাখ ডেকা ল'ৰাই কাম বিচাৰি বলিয়া কুকুৰৰ দৰে বাটে বাটে ঘূৰি ফুৰিছে। তেওঁলোকক হয় চাকৰি লাগে, নহয় মাটি লাগে, নহয় শিল্প-বাণিজ্য কৰিবলৈ অৰ্থ সাহায্য আৰু অন্যান্য সা-সুবিধা লাগে। তেওঁলোকক সেইখিনি দিয়াটো ৰাষ্ট্ৰৰ প্ৰধান আৰু অপৰিহাৰ্য্য কৰ্তব্য। যি ৰাষ্ট্ৰই সেইখিনি কৰ্তব্য কৰিবলৈ অস্বীকাৰ কৰে, সেই ৰাষ্ট্ৰৰ প্ৰতি নিবনুৱা আৰু নিৰাশ্ৰয় মানুহবো কোনো দায়িত্ব থাকিব নোৱাৰে। আজি নহ'লেও কালিলৈ সিহঁতে সেই ৰাষ্ট্ৰক ভাঙি-ছিঙি মৰিমূৰ কৰি দিব। এইবাৰৰ স্বাধীনতা দিৱসত অসমৰ মন্ত্ৰী-পালী মন্ত্ৰীসকলে বিভিন্ন স্থানলৈ গৈ দেশৰ কোনটো সমস্যা আটাইতকৈ গুৰুত্বপূৰ্ণ সেই বিষয়ে নিজৰ মহা-মূল্যবান মত জাহিৰ কৰি ফুৰিছে। কোনোবে কৈছে বৰ্দ্ধিত জনসংখ্যাই সম্প্ৰতি আটাইতকৈ ডাঙৰ সমস্যা (মন্ত্ৰীৰ বাহিৰে আন কোনেও ল'ৰা-ছোৱালীৰ জন্ম দিব নোৱাৰে বুলি আইন কৰিলেই বোধহয় এই সমস্যাৰ সমাধান হয়); কোনোবে কৈছে— কৃষি আৰু উদ্যোগৰ উন্নতি সাধন কৰাই হ'ল দেশৰ সন্মুখত আটাইতকৈ ডাঙৰ সমস্যা (যেনে মন্ত্ৰীয়ে সঁকীয়াই নথকাৰ কাৰণেহে অসমৰ মানুহে কৃষি আৰু উদ্যোগৰ উন্নতিত মন দিয়া নাই); আন কোনোবা এজনে কৈছে— আবেগিক ঐক্যই হ'ল সম্প্ৰতি আটাইতকৈ ডাঙৰ সমস্যা (আধা পেটীয়া মানুহে খাওঁণ বুলি বাঢ়ি লোৱা ভাতগৰাহ আনে চিলাই থাপ্ মাৰি নিয়াদি লৈ গ'লেও মুখেৰে মাত এবাৰ নামাতি মূৰে-কপালে হাত দি বহি থাকিলেই বোধহয় এই তথাকথিত আবেগিক ঐক্যৰ পথ সুগম হয়)। কিন্তু কোনো এজন মন্ত্ৰীৰ মুখত এনে এবাৰ কথা নোলাল— যি কথা শুনি দেশৰ লাখ লাখ নিবনুৱা, আধাপেটীয়া আৰু হতাশা-জৰ্জৰিত ডেকা ল'ৰা এচেৰেঙা আশাৰ পোহৰ দেখিব পাৰে বা পথৰ সন্ধান পাব পাৰে। আনকি দেশৰ সন্মুখত কোনটো সমস্যা আটাইতকৈ জৰুৰী আৰু গুৰুত্বপূৰ্ণ— সেই বিষয়েও তিনিজন মন্ত্ৰীৰ মাজত চিন্তাৰ মিল নাই। নিবক্ষৰ পুৰোহিতে সংস্কৃতৰ শ্লোক মুখস্থ মতাৰ দৰে ভাটৌ চৰাইৰ দৰে কেইটামান মুখস্থ বক্তৃতা আওৰাই থকা এই মন্ত্ৰী আৰু নেতাসকলৰ দ্বাৰাই দেশৰ কিবা সমস্যা সমাধান হ'ব বুলি কোনোবাই আশা কৰিব পাৰেনে?

অসমৰ নিবনুৱা সমস্যাই আজি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। চৰকাৰে দুবছৰৰ চেষ্টাৰ মূৰত পাঁচশ মানুহৰ কামৰ সংস্থান কৰে মানে ইতিমধ্যে পাঁচ হাজাৰ নতুন নিবনুৱাৰ সৃষ্টি হয়। এই গতিৰে চৰকাৰে অনন্ত কাল সময় ল'লেও নিবনুৱা সমস্যাৰ সমাধান কৰিব নোৱাৰিব। অসম চৰকাৰৰ উদ্যোগ মন্ত্ৰীয়ে আজি দুবছৰ ধৰি নানা আশ্বাস আৰু ভৱিষ্যবাণী কৰি আহিছে, কিন্তু তাৰ এটাও আজিলৈকে কাৰ্য্যকৰী হোৱা নাই। এনে ভুৱা আশ্বাসে মানুহৰ খং আৰু হতাশা দুগুণে বঢ়াইহে তোলে। অসম চৰকাৰে আজি হয় কেন্দ্ৰীয় চৰকাৰৰ সকলো অন্যায় ষড়যন্ত্ৰ ব্যৰ্থ কৰি তেল শোধনাগাৰ, পেট্ৰো-কেমিকেল শিল্প-চক্ৰ, চাহ-নীলাম কেন্দ্ৰ, কাগজৰ কল আদি অসমত স্থাপন কৰি থলুৱালোকক কৰ্ম-সংস্থানৰ সুবিধা দিব লাগিব আৰু সকলো চৰকাৰী-বেচৰকাৰী উদ্যোগতে শতকৰা আশী ভাগ চাকৰি থলুৱা লোকৰ কাৰণে সংৰক্ষিত কৰাবলৈ সমৰ্থ হ'ব লাগিব— নহয় এক ব্যাপক অশান্তি, অৰাজকতা আৰু সামাজিক ভূমিকম্পৰ কাৰণে সততে প্ৰস্তুত হৈ থাকিব লাগিব। তাৰ বাহিৰে চৰকাৰৰ সন্মুখত আন কোনো বিকল্প নাই। আজি যিবোৰ লাখ লাখ ডেকা ল'ৰাই হাঁ/ভাত হা কাপোৰ বুলি বাটে বাটে ঘূৰি ফুৰিছে, কাম বিচাৰি গৈ মন্ত্ৰী-বিধায়া-শিল্পপতিৰ ওচৰত কুকুৰৰ দৰে ব্যৱহাৰ পাইছে, কামৰ সন্ধানত দুৱাৰে দুৱাৰে ঘূৰি ফুৰিয়েই যৌৱনৰ শ্ৰেষ্ঠতম দিনবোৰৰ অপচয় কৰিবলৈ বাধ্য হৈছে— সেই ডেকাবোৰে মন্ত্ৰীৰ ভুৱা আশ্বাস আৰু অকম আস্ফালন শুনিয়েই চিৰকাল সন্তুষ্ট হৈ থাকিব নোৱাৰে; প্ৰকৃতিৰ নিয়মমতেই সিহঁতৰ অৱদমিত ক্ৰোধে কিবা এটা বাট বিচাৰি ল'বলৈ বাধ্য হ'ব। সকলোৱেই মনত ৰখা দৰকাৰ যে দেশৰ নিবনুৱাৰ দল চৰকাৰী সংখ্যাতত্ত্বৰ একোটা হিচাব মাত্ৰ নহয়, সিহঁত আচলতে তেজ-মঙহৰ মানুহ।

অসমৰ চাহ-মজদুৰ সমাজ

অসমৰ চাহ-মজদুৰ সমাজৰ বিষয়ে আমাৰ কাকতৰ এটা বিশেষ সংখ্যা উলিওৱাৰ কথা আমি বহুদিনৰ পৰা মনে মনে ভাবি আছিলো; কিন্তু সেই কথা কাৰো আগত ব্যক্ত কৰিবলৈ নৌ পাওঁতেই চাহ-মজদুৰ ভাইসকলৰ মাজৰ পৰাই বহুতে তেনে এটা বিশেষ সংখ্যাৰ কাৰণে অনুৰোধ কৰি আমালৈ চিঠি লিখিবলৈ ধৰিলে। ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি শ্ৰমিক নেতালৈকে বহুতৰ পৰাই আমি এনে অনুৰোধ পাইছিলোঁ। আৰম্ভণিতেই এই কথাটো উল্লেখ কৰাৰ এটা বিশেষ অৰ্থ আছে। সেইটো হৈছে— বাতৰি কাকতৰ নিচিনা আধুনিক মাধ্যমৰ জৰিয়তে নিজৰ সমস্যা, আশা-নিৰাশা আৰু মনৰ কথা প্ৰকাশ কৰিবলৈ চাহ-মজদুৰ সমাজে যি সুবিধা বিচাৰে সেই সুবিধা আজিলৈকে তেওঁলোকে পোৱা নাছিল। অথচ তেওঁলোকৰ যে কিমান ক'বলগীয়া আছিল, এই সংখ্যা কাকতৰ পাতে পাতেই তাৰ প্ৰমাণ পোৱা যাব। এই কথাবোৰ খোলা-খুলিকৈ ক'বলৈ তেওঁলোকে যদি কেতিয়াও সুবিধা নাপালেহেঁতেন, তেন্তে কেইবাপিনৰ পৰাই তাৰ পৰিণাম নিশ্চয় বেয়া হ'লহেঁতেন। গণতন্ত্ৰৰ ঘাই ভেটি হ'ল নিজৰ মত প্ৰকাশৰ সুবিধা আৰু মুকলি আলোচনা। কেৱল ইলেকচন আৰু ৰাইজৰ প্ৰতিনিধিৰ দ্বাৰা চৰকাৰ পৰিচালনাকে গণতন্ত্ৰ বুলি নুবুজায়। চৰকাৰী গণ্ডীৰ বাহিৰত ৰাইজে ঘাইকৈ সভা-সমিতি আৰু বাতৰি কাকতৰ জৰিয়তেই নিজৰ মত প্ৰকাশ কৰিবলৈ সুবিধা পায়। ইয়াৰ ভিতৰত বাতৰি কাকতত হোৱা আলোচনা বা মত-প্ৰকাশেই বেছি ব্যাপক, অৰ্থ-পূৰ্ণ আৰু কাৰ্য্যকৰী। দেশৰ বাতৰি কাকত সমূহে সমাজৰ সৰ্বশ্ৰেণীৰ মানুহৰ মতামত আৰু আশা-আকাংক্ষা ব্যক্ত কৰা উচিত। তাৰ ভিতৰত সমাজৰ কেতবোৰ মানুহ যদি নানা ঐতিহাসিক কাৰণত বিশেষভাবে পিচপৰি থাকে বা তেওঁলোকৰ কিছুমান বিশেষ সমস্যা থাকে, তেন্তে বাতৰি-কাকতে তেনে জনগোষ্ঠীৰ প্ৰতি বিশেষ মনোযোগ দিয়া দৰকাৰ বুলি আমি ভাবোঁ। পৃথিৱীৰ উন্নত দেশবোৰত বাতৰি কাকতে এই বিশেষ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰা আমি দেখিবলৈ পাইছোঁহঁক। অসমত চাহ-মজদুৰ সমাজৰ জন-সংখ্যা প্ৰায় ত্ৰিশ লাখৰ ওচৰা-উচৰি হ'ব। ই অসমৰ বৰ্তমান জন-সংখ্যাৰ প্ৰায় চাৰি ভাগৰ এভাগ। আন একো নহ'লেও কেৱল সংখ্যাৰ জোৰতেই এই বিশাল জনগোষ্ঠীয়ে অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰিব লাগিছিল; ৰাজহুৱা স্বাৰ্থৰ লগত জড়িত যি কোনো বিষয়ৰ আলোচনাতেই আমি তেওঁলোকৰ মাত শুনিবলৈ পাব লাগিছিল। কিন্তু আচৰিত কথা যে ক'তো আমি তেওঁলোকৰ মাত শুনিবলৈ নাপাওঁ। এক কোটি মানুহৰ এখন ৰাজ্যত ত্ৰিশলাখ মানুহৰে গঠিত এনে এক বিশাল জন-গোষ্ঠীৰ অস্তিত্ব পৰ্য্যন্ত কোনেও অনুভৱ নকৰে। কেইবা বছৰৰ মূৰে মূৰে মাত্ৰ দুটা উপলক্ষত তেওঁলোকৰ কথা বোধহয় মানুহৰ মনলৈ আহে : পাঁচ বছৰৰ মূৰে মূৰে ইলেক্‌চনৰ সময়ত আৰু দহ বছৰৰ মূৰে মূৰে লোকপিয়লৰ সময়ত। সেই সময়ত যে তেওঁলোকলৈ মনত পৰে সিও তেওঁলোকৰ স্বাৰ্থত নহয়, স্বাৰ্থ জড়িত মহলৰ নিজৰ স্বাৰ্থতহে মনত পৰে। ইলেক্‌চনৰ সময়ত নিৰাপদে জিকিবৰ কাৰণে চাহ-মজদুৰৰ ভোট অতি দৰকাৰী বস্তু; সেই সময়ত ৰাজনীতিৰ কাৰবাৰীসকলে চাহ-মজদুৰক মূৰতেই থ'বনে কোলাতেই ল'ব ভাবি তং নোপোৱা অৱস্থা হয়। কিন্তু ইলেক্‌চন শেষ হোৱাৰ লগে লগেই চাহ-মজদুৰৰ অস্তিত্ব তেওঁলোকৰ মনৰ পৰা পুনৰ নোহোৱা হৈ যায়। সেইদৰে অসমীয়া জাতিয়েও লোক-

পিয়লৰ সময়ত চাহ-মজদুৰৰ কথা মনত পেলায় আৰু প্ৰশ্ন কৰে— 'তেওঁলোকে নিজকে অসমীয়া বুলি পৰিচয় দিছেনে?' তাৰ দ্বাৰা আমাৰ সংখ্যা বৃদ্ধি হোৱাত তেওঁলোকে আমাক সহায় কৰিছেনে? .... কিন্তু পিয়ল পাৰ হৈ যোৱাৰ লগে লগেই তেওঁলোকৰ খবৰ ল'বলৈ কাৰো একো দৰকাৰ নাথাকে।

মুঠতে চাহ-মজদুৰক আজিলৈকে কোনেও তেজ-মাংসৰ আৰু ভাব-অনুভূতিৰ মানুহ হিচাবে স্বীকৃতি দিয়া নাই। সকলোৱেই তেওঁলোকক নিজৰ নিজৰ স্বাৰ্থসিদ্ধিৰ সঁজুলি হিচাবেহে ব্যৱহাৰ কৰিছে। বাগিচাৰ মালিকৰ কাৰণে তেওঁলোক উৎপাদনৰ যন্ত্ৰ মাত্ৰ। ঠিকাদাৰৰ কাৰণে তেওঁলোক হ'ল অতি সস্তীয়া বনুৱা। এম. এল. এ. পদ প্ৰাৰ্থীসকলৰ কাৰণে তেওঁলোক হ'ল একেলগে থাউকতে পোৱা মহা-মূল্যবান ভোট। অসমীয়া জাতীয়তাবাদীসকলৰ চকুত তেওঁলোক হ'ল পিয়লৰ গণনাত অসমীয়া লোকৰ সংখ্যা সৰহ কৰাৰ এটা অব্যৰ্থ উপায়। অৰ্থাৎ বিভিন্ন গোষ্ঠীৰ স্বাৰ্থ-পূৰণ কৰাহি হ'ল চাহ-মজদুৰৰ অস্তিত্বৰ একমাত্ৰ সাৰ্থকতা; সেই স্বাৰ্থৰ বাহিৰত তেওঁলোকৰ অস্তিত্বৰ আৰু কোনো মূল্য নাই।

আমাৰ এই উক্তি যদি কোনোবাই মিছা বা অতিৰঞ্জিত বুলি ক'ব খোজে, তেন্তে তেওঁলোকৰ উদ্দেশ্য আমাৰ কেইটামান প্ৰশ্ন আছে। আমি যদি তেওঁলোকক মানুহ বুলিয়েই ধৰিছোঁ বা অসমীয়া জাতিৰ এটা প্ৰধান অঙ্গ বুলি গণ্য কৰিছোঁ তেন্তে ইমানদিনে আমি কোনোবাই এই প্ৰশ্ন কৰিছোনে যে ত্ৰিশলাখ মানুহৰ এনে এটা বিৰাট জন-গোষ্ঠীত বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী লোকৰ সংখ্যা ১০০ জনতকৈয়ো কম হৈ থকাৰ কাৰণ কি? (এই সংখ্যা কাকতত প্ৰকাশিত এটা প্ৰবন্ধত তেজপুৰৰ শ্ৰীসুবান হাৰোৱে লিখিছে— অসমৰ কোনোবা এজন মন্ত্ৰীয়ে বোলে চাহ-মজদুৰৰ সভাত বক্তৃতা দি কৈছিল : 'আপোনালোকৰ বহুত উন্নতি হৈছে, কাৰণ আপোনালোকৰ মাজত কেইবাজনো গ্ৰেজুৱেট ওলাইছে) কেতিয়াবা আমি এই প্ৰশ্ন কৰিছোঁনে যে ১৯৪৭ চনৰ পৰা ১৯৬৮ চনলৈকে যি ১ লাখ ৩২ হাজাৰজন মজদুৰ কামৰ পৰা চাটাই [illegible] তেওঁলোকৰ কি গতি হৈছে? কেতিয়াবা আমি নিজৰ ফালৰ পৰাই এই দাবী তুলিছোঁনে যে চাহ-[illegible] অতিৰিক্ত মাটি যেতিয়া মাটিহীন খেতিয়কৰ মাজত বিলাই দিব লাগিব তাৰ প্ৰথম ভাগ পাব লাগিব বাগিচাৰ কামৰ পৰা চাটাই হোৱা বা প্ৰাক্তন মজদুৰসকলেই? চাহ মজদুৰ সমাজৰ লাখ লাখ মানুহ এতিয়াও দাৰিদ্ৰ্যৰ কি নৰক-কুণ্ডত পৰি আছে আৰু নামত ন'হলেও কামত এতিয়াও ক্ৰীতদাস হৈয়েই আছে— আমি কেতিয়াবা সেই খবৰ লৈছোনে? চাহ মজদুৰসকলৰ মাজত শিক্ষাৰ প্ৰসাৰ কিয় শামুকীয়া গতিত আগবাঢ়িছে সেই কথা জানিবলৈ আমি চেষ্টা কৰিছোঁনে? (শ্ৰীপ্ৰহ্লাদ চন্দ্ৰ তাচাই লিখিছে— যিহেতু শিক্ষিত ভোট-দাতাই সদায় ভাবি-চিন্তি নিজৰ বিবেকৰ দ্বাৰা যোগ্য-প্ৰাৰ্থীক ভোটদান কৰে, তাৰ ফলত দেশত প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠা হয়। কিন্তু কংগ্ৰেছ দলে ভাবে যদি অসমৰ ২৫ লাখ মজদুৰ শিক্ষিত হৈ উঠে, তেন্তে অসমত কংগ্ৰেছে আৰু সংখ্যা গৰিষ্ঠতা লাভ কৰিব নোৱাৰিব— ই ধুৰুপ। সেয়েহে মজদুৰৰ ভোটৰ প্ৰতি কংগ্ৰেছৰ যি লোলুপ দৃষ্টি তেনে দৃষ্টি তেওঁলোকৰ মাজত শিক্ষা প্ৰচাৰ কৰাৰ প্ৰতি নাই)।

আমি কোনোদিনে এইবোৰ কথা ভবা নাই। আমাৰ দেশৰ ৰাজহুৱা আলোচনাৰ থলীবোৰত বা কাকত-আলোচনীবোৰত এনেবোৰ কথা আলোচনা হোৱাৰ কোনো প্ৰমাণ নাই। কিন্তু আমি নাভাবিলেও চাহ-মজদুৰ ভাইসকলে নিজৰ কথা নিজে নভবাকৈ কেতিয়াও থাকিব নোৱাৰে। তেওঁলোকৰ সমাজত এটা নতুন জাগৰণ আৰম্ভ হৈছে। তেওঁলোকৰ সমাজত যিসকল শিক্ষিত-চিন্তাশীল আৰু আদৰ্শবাদী লোক ওলাইছে তেওঁলোকে নিজৰ সমাজখনৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে আপাওধীয়াভাৱে চিন্তা কৰিছে। এতিয়া এই চিন্তা প্ৰকাশ কৰিবলৈ, ভাবৰ আদান-প্ৰদান কৰিবলৈ আৰু এই চিন্তাক সামাজিক আলোচনাৰ বিষয়-বস্তু কৰি তুলিবলৈ তেওঁলোকক এটা সুবিধা লাগে। কোৱা বাহুল্য মাথোন যে যাইকে বাতৰি কাকতেহে

এই সুবিধা দিব পাৰে। আমি আগতেই কৈ আহিছোঁ যে মত প্ৰকাশ আৰু মুকলি আলোচনাৰ সুবিধা গণতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ এটা ডাঙৰ দান। কোনো বিশেষ জন-গোষ্ঠীয়ে যদি সমষ্টিগতভাৱে এনে সুবিধাৰ পৰা বঞ্চিত হৈ থাকে তেন্তে বুজিব লাগিব যে সমাজে সেই জন-সমষ্টিক জীৱনৰ পৰিপূৰ্ণ বিকাশৰ সুবিধা দিয়া নাই; তেওঁলোকৰ জীৱনৰ আন্ধাৰ গলিত গণতন্ত্ৰৰ বেলিৰ পোহৰ এতিয়াও ভালকৈ পৰা নাই। সমাজ হিচাবে চাহ-মজদুৰৰ সমাজ গণতন্ত্ৰৰ এই মৌলিক সুবিধা ভোগ কৰাৰ পৰা এতিয়াও বঞ্চিত হৈ আছে। কিন্তু মনত ৰখা দৰকাৰ যে— Man can not live by bread alone. অৰ্থাৎ কেৱল ভাত খায়েই মানুহ জীয়াই থাকিব নোৱাৰে। মানসিক বিকাশৰ এটা স্তৰত মানুহে পেটৰ ভাততকৈয়ো নিজৰ মনোভাব প্ৰকাশৰ প্ৰয়োজনীয়তা বেছি তীব্ৰভাৱে অনুভৱ কৰে। লগতে এই কথাও মনত ৰখা দৰকাৰ যে চিন্তাৰ অবাধ স্ফুৰণ আৰু ভাবৰ আদান-প্ৰদানেহে এখন সমাজক প্ৰকৃত উন্নতিৰ পথত আগবঢ়াই লৈ যাব পাৰে— কেৱল টকা-সিকা বা ঘৰ-বাৰীৰ উন্নতিয়ে সেইখিনি কৰিব নোৱাৰে। চাহ-মজদুৰ সমাজৰ শিক্ষিত চিন্তাশীল লোকসকলে আজি এই কথা ভালকৈ বুজি পাইছে। চাহ-মজদুৰ সমাজৰ কাৰণে সাপ্তাহিক নীলাচলৰ এটা বিশেষ সংখ্যা যে তেওঁলোকে দাবী কৰিছে— সেই কথাই তাৰ প্ৰমাণ। নিজৰ অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে চাহ-মজদুৰসকলে সুদীৰ্ঘকাল সংগ্ৰাম কৰি আহিছে। কিন্তু ইমানদিনে তেওঁলোকৰ সেই সংগ্ৰামৰ প্ৰধান লক্ষ্য আছিল অৰ্থনৈতিক। এই বিশেষ সংখ্যা নীলাচলৰ প্ৰকাশ পোৱাৰ লগে লগে তেওঁলোকৰ সংগ্ৰাম আৰু এখোপ ওপৰলৈ উঠিল, কাৰণ এই প্ৰথমবাৰৰ কাৰণে তেওঁলোকৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক সমস্যাবোৰ খৰচি মাৰি ৰাজহুৱাভাৱে আলোচনা কৰিবলৈ সুবিধা পালে। তাতোকৈ ডাঙৰ কথা— চাহ-মজদুৰ সমাজৰ যি এক নতুন শক্তিশালী আৰু ভৱিষ্যতমুখী ব্যক্তিত্ব গঢ় লৈ উঠিছে, সেই ব্যক্তিত্বও এই সংখ্যা নীলাচলৰ পাতে পাতে ফুটি উঠিছে। অসমৰ জনসাধাৰণৰ উন্নতি আৰু ভাগ্য পৰিবৰ্তনৰ দাবীত এতিয়ালৈকে বহুতো মাত শুনা গৈছে; সেইবোৰৰ লগতে আজি আৰু এটা শক্তিশালী মাত যোগ হ'ল। আমি আশা কৰোঁ যে এই লোকসকলে অতি কম দিনৰ ভিতৰতে কেৱল চাহ-মজদুৰ সমাজৰেই নহয়— সমগ্ৰ অসমৰ নেতৃত্ব ল'বলৈ সক্ষম হ'ব।

২

চাহ-মজদুৰসকল অসমৰ জনসাধাৰণৰ নানাবিধ সমস্যা, আশা-নিৰাশা আৰু সুখ-দুখৰ সমান অংশীদাৰ। কিন্তু এই সাধাৰণ সমস্যাবোৰৰ উপৰিও নানা ঐতিহাসিক কাৰণত তেওঁলোকৰ কিছুমান বিশেষ সমস্যা আছে। বিভিন্ন লিখকে এই সংখ্যা কাকতত সেই সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিছে আৰু সেইবোৰৰ সমাধানৰ কাৰণে তেওঁলোকৰ নতুন চিন্তাধাৰাৰ ইঙ্গিত দিছে। অতি কম পৰিসৰতে আলোচনা কৰিবৰ কাৰণে আমি ইয়াত দুটামান কথাৰহে উল্লেখ কৰিম।

আমাৰ মনত প্ৰথমতে প্ৰশ্ন হ'ব পাৰে, অসমৰ জাতীয় জীৱনত চাহ-মজদুৰ সমাজৰ ঠাই ক'ত? শ্ৰীমতী স্বৰূপা স্বাহে এই সংখ্যা কাকতত প্ৰকাশ হোৱা তেওঁৰ 'জীৱনে-মৰণে আমি অসমীয়া' নামৰ মৰ্ম-স্পৰ্শী প্ৰবন্ধটোত এনে হৃদয়-দ্ৰাবী ভাষাৰে এই প্ৰশ্নৰ উত্তৰ দিছে যে তাৰ পাচত আৰু ক'বলৈ কাৰো একো কথা নাথাকে। মাকে নিজৰ পেটৰ পৰা ওপজা সন্তানক 'এইটো মোৰ সন্তান, এইটো মোৰ সন্তান' বুলি যেনেকৈ নিজকে বা আনক মনত পেলাই থাকিবৰ প্ৰয়োজন নাই, ঠিক তেনেকৈয়ে চাহ-মজদুৰসকল অসম-আইৰ অতি আদৰৰ সন্তান, অসমীয়া জাতিৰ আপোন তেজ-মঙহ; তেওঁলোকক অসমীয়া বুলি ঘোষণা কৰিবলৈ বা চিনাকি কৰি দিবলৈ একো প্ৰয়োজন নাই। অৰ্থাৎ অসমীয়া জাতিৰ লগতে চাহ-মজদুৰ সমাজৰ

মিলন ঘটোৱাটো আমাৰ বা তেওঁলোকৰ কাৰো ফালৰ পৰাই ঘাই সাংস্কৃতিক সমস্যা নহয়। সেই মিলন কেতিয়াবাই ঘটি গৈছে। খোৱাঙৰ শ্ৰীমদন বৰুৱাই আমালৈ পঠোৱা এটা টোকাত লিখিছে: "আজি কেইবা বছৰৰ আগতে উজনি অসমৰ নাফুক চাহ বাগিচাৰ মজদুৰ ডেকা-গাভৰুসকলে এখন বহাগী মেলাত ঝুমুৰৰ সুৰত তলৰ গীতটি গোৱা শুনিছিলো—

"আমাৰ দেশেৰ বৈসাখ পৰব
লাগে বৰ ভাল,
মাদল বাজে, বাঁশী বাজে
বাজে কৰতাল;
সখীহে— গাছে দিয়ে সোণাৰ পাতা
হাঁয়বে কপাল।"

আজিৰ পৰা ১৩০ বছৰৰ আগতে এই লোকসকলৰ পূৰ্বপুৰুষ সুদূৰ বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আদি অঞ্চলৰ পৰা অসমলৈ আহিছিল; তেওঁলোকে লগত আনিছিল এক প্ৰাণোচ্ছল আৰণ্যক সভ্যতাৰ বিচিত্ৰ ছন্দ আৰু বৰ্ণ-সুষমা। তাৰ পাচত পুৰুষানুক্ৰমে 'সোণৰ পাত দিয়া গছৰ' খেতি কৰি কৰি অসমত থাকি থাকি তেওঁলোকে এদিন 'আসাম দেশেৰ বৈসাখ পৰব' অৰ্থাৎ বিহুক ভাল পাই পেলালে। ঢোলৰ ছেৱৰ লগত মাদলৰ ছেও মিলি গ'ল, অসমীয়া জাতিৰ মুখৰ মাত আৰু প্ৰাণৰ আশাৰ লগত এক হৈ মিলি গ'ল তেওঁলোকৰো মাত-কথা, আৰু আশা-ভাবসা।

কিন্তু এই মিলন অতি স্বাভাৱিকভাৱে ঘটি গ'ল বুলিয়েই তেওঁলোকৰ প্ৰতি আমাৰ কৰ্তব্যৰ ওৰ নপৰে। অতি প্ৰাচীন কালৰ পৰাই অসমৰ সংস্কৃতি সংমিশ্ৰণ আৰু সমন্বয়ৰ ফলত সৃষ্টি হোৱা সং[illegible] বাহিৰৰ পৰা যিবোৰ লোক-গোষ্ঠী অসমলৈ আহিছে, তেওঁলোকে থলুৱা সংস্কৃতি যেনেকৈ গ্ৰহণ [illegible] তেনেকৈ থলুৱা সংস্কৃতিলৈকো বহুত বৰঙণি আগবঢ়াইছে। চাহ-মজদুৰসকলৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম হোৱা উচিত নহয়। চাহ-মজদুৰ সমাজৰ হৈ শ্ৰীমতী স্বৰূপা স্বাহে দাবী কৰিছে— 'মজদুৰৰ ঝুমুৰ নৃত্য অসমৰো জন-নৃত্য ৰূপে স্বীকৃত হ'ব লাগিব, ঝুমুৰ গীত অসমৰ লোকগীত বুলি গণ্য হ'ব লাগিব। অসমৰ সাংস্কৃতিক কৰ্মীসকলে এই প্ৰস্তাৱ অতি গুৰুত্ব সহকাৰে বিচাৰ কৰি চোৱা উচিত বুলি আমি ভাবোঁ।'

সংস্কৃতিৰ ক্ষেত্ৰত চাহ-মজদুৰসকলৰ আটাইতকৈ ডাঙৰ সমস্যা হ'ল শিক্ষাৰ সমস্যা। চৰকাৰে তেওঁলোকৰ মাজত শিক্ষা-বিস্তাৰৰ ক্ষেত্ৰত নানা ৰকমৰ ভণ্ডামীৰ আশ্ৰয় লৈছে; অৰ্থাৎ যিমান দ্ৰুত গতিৰে আৰু ব্যাপকভাৱে তেওঁলোকৰ মাজত শিক্ষাৰ বিস্তাৰ ঘটাব লাগিছিল, সেইখিনি কৰিবলৈ চৰকাৰে আন্তৰিকভাৱে চেষ্টা কৰা নাই। কথাৰ গতি-গোত্ৰ দেখি শ্ৰীপ্ৰহ্লাদ তাচাৰ কথাই সঁচা যেন লাগে যে চাহ-মজদুৰসকল শিক্ষিত হৈ উঠিলেই কংগ্ৰেছ চৰকাৰে তেওঁলোকৰ ভোট হেৰুৱাও বুলিয়েই বোধহয় তেওঁলোকক শিক্ষিত কৰিব নোখোজে। কিন্তু কংগ্ৰেছ চৰকাৰৰ এই ক্ষুদ্ৰ স্বাৰ্থ-বুদ্ধিৰ লগত অসমীয়া জাতিৰ বৃহত্তৰ স্বাৰ্থৰ কোনো সম্পৰ্ক নাই। অসমীয়া জাতিৰ বৃহত্তম স্বাৰ্থৰ কাৰণে চাহ-মজদুৰ সমাজ অতি সোনকালে শিক্ষিত আৰু স্বচ্ছল হোৱাৰ প্ৰয়োজন আছে।

এই প্ৰবন্ধটোৰ শেষাংশ বিচাৰি পোৱা নগ'ল।

সাপ্তাহিক নীলাচল, ৯৯ সংখ্যা ঃ ৯ চেপ্তেম্বৰ, ১৯৭০

ইন্দিৰা চৰকাৰৰ সাফল্য আৰু ব্যৰ্থতা

প্ৰায় ডেৰ বছৰ পূৰ্বে কংগ্ৰেছ দল যেতিয়া দুভাগত ভাগ হৈ যায়, তেতিয়া দেশৰ বেছিভাগ বাতৰি কাকতেই এই বিভাজনৰ মাজত শ্ৰীমতী গান্ধীৰ ক্ষমতাৰ খখহে বৈছিকৈ দেখিবলৈ পাইছিল। তেওঁলোকে সমস্বৰে ঘোষণা কৰিছিল যে এই বিভাজনৰ মূলতে কোনো আদৰ্শৰ দ্বন্দ্ব নাই, আছে মাত্ৰ ব্যক্তিত্বৰ সংঘাত। সেই সময়ত বহুতো বাতৰি কাকতে কংগ্ৰেছ দলৰ ঐক্য বাহাল থাকিব লাগে বুলিও বৰকৈ চিঞৰ-বাখৰ কৰিছিল। অৱশ্যে এই কথা বুজিবলৈ কাৰো বাকী নাছিল যে তেওঁলোকৰ এই ঐক্যৰ ওকালতিৰ মূলতে দেশৰ মংগল চিন্তাতকৈ স্থিতাবস্থা আৰু ৰক্ষণশীলতাৰ প্ৰতি আনুগত্যই আছিল বেছি।

দেশৰ যিবোৰ বাতৰি কাকতে কংগ্ৰেছ দলৰ বিভাজনক ওলগনি জনাইছিল, সেইবোৰৰ ভিতৰত সাপ্তাহিক নীলাচল আছিল অন্যতম। অসমৰ ভিতৰত বোধহয় একমাত্ৰ এই কাকতেই কংগ্ৰেছ বিভাজন আৰু শ্ৰীমতী গান্ধী সম্পৰ্কে কিছু অনুকূল মনোভাব পোষণ কৰিছিল। তাৰ কাৰণ দৰ্শাই আমি লিখিছিলো— "... কিয় আমি ইন্দিৰা কংগ্ৰেছক শক্তিশালী কৰা উচিত? ইন্দিৰা পন্থী কংগ্ৰেছে তেওঁলোকৰ বিষদ কাৰ্যসূচী এতিয়ালৈকে প্ৰকাশ নাই কৰা যদিও ইতিমধ্যে এটা কথা স্পষ্ট হৈ উঠিছে যে কংগ্ৰেছৰ ভিতৰত যিটো গোষ্ঠী অপেক্ষাকৃতভাৱে তৰুণ, প্ৰগতিশীল আৰু ভবিষ্যৎমুখী— তেওঁলোক সকলোৱেই ইন্দিৰাৰ দলত আছে। তেওঁলোকে দ্যৰ্থহীন ভাষাৰে দেশত সমাজবাদ প্ৰতিষ্ঠাৰ সংকল্পৰ কথা ঘোষণা কৰিছে। তেওঁলোকৰ মৌলিক দৃষ্টিভংগী জনস্বাৰ্থৰ অনুকূল। তাৰ তুলনাত চিণ্ডিকেটৰ নেতৃত্ব মানি চলা বাৰ্ধক্যত জৰ্জৰিত কংগ্ৰেছী উপদলটোৰ দৃষ্টিভংগী সম্পূৰ্ণৰূপে প্ৰতিক্ৰিয়াশীল আৰু পশ্চাতমুখী। তেওঁলোকে দেশত স্থিতাবস্থা বাহাল ৰাখি নিজৰ ক্ষমতা অক্ষুন্ন ৰাখিব খোজে।"

(সম্পাদকীয়, সাপ্তাহিক নীলাচল, ১৭-১২-১৯৬৯)

দিন যোৱাৰ লগে লগে আমাৰ এটা ধাৰণা সম্পূৰ্ণ সত্য বুলি প্ৰমাণিত হৈ উঠিছিল। এইটো হৈছে চিণ্ডিকেটপন্থী কংগ্ৰেছ দলৰ প্ৰতিক্ৰিয়াশীল চৰিত্ৰ। তেওঁলোকৰ বিৰুদ্ধে শ্ৰীমতী গান্ধীৰ এটা প্ৰধান অভিযোগ আছিল এয়ে যে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ সময়ত তেওঁলোকে তলে তলে জনসংঘ আৰু স্বতন্ত্ৰ দলৰ লগত মিতিৰালি পাতিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে সেই সময়ত অভিযোগ অস্বীকাৰ কৰিছিল। কিন্তু জ্বলা জুইক কাপোৰেৰে ঢাকি ৰাখিব নোৱাৰাৰ দৰে চিণ্ডিকেট পন্থী কংগ্ৰেছেও নিজৰ আচল চৰিত্ৰ নানা চলহী কথাৰে বেছি দিন ঢাকি ৰাখিব নোৱাৰিলে। মাত্ৰ কেইমাহ মানৰ আগতে চিণ্ডিকেট কংগ্ৰেছ, জনসংঘ আৰু স্বতন্ত্ৰ দলৰ এটা মিলিত মৰ্চা কৰিবলৈ প্ৰবল চেষ্টা চলিছিল; সেই চেষ্টা নানা কাৰণত সফল নহ'ল যদিও আজি নামত নহ'লেও কামত এই তিনিওটা প্ৰতিক্ৰিয়াশীল দলে সম্পূৰ্ণৰূপে ঐক্যবদ্ধ হৈ সকলো প্ৰগতিশীল কাৰ্য্যব্যৱস্থা আৰু বৈপ্লৱিক পৰিবৰ্তনৰ বিৰুদ্ধে যুঁজ কৰি আহিছে। যিসকল লোকে কংগ্ৰেছৰ বিভাজনৰ মূলতে কোনো আদৰ্শগত সংঘাত দেখা নাছিল বা ঐক্য বাহাল ৰখাৰ সপক্ষে মাত মাতি যোৱাকৈ ওকালতি কৰিছিল, তেওঁলোকে আজি চিণ্ডিকেট কংগ্ৰেছৰ উলংগ ৰূপ দেখি মনে মনে কি চিন্তা কৰিছে— এই কথা জানিবলৈ সকলোৰে মন যায়।

চিণ্ডিকেট কংগ্ৰেছ সম্পৰ্কে আমাৰ সন্দেহ যিমান সোনকালে সঁচা বুলি প্ৰমাণিত হ'ল ইন্দিৰা সম্পৰ্কত আমাৰ উচ্ছ্বাস কিন্তু সিমান সোনকালে পৰিষ্কৃত নহ'ল। সঁচা কথা, মৰা বলীৰ দৰে ভাৰতীয় ৰাজনীতিৰ স্থবিৰ পানীত ইন্দিৰা গান্ধীৰ বেংক ৰাষ্ট্ৰীয়কৰণৰ ঘোষণাই এটা বিপুল খলকনিৰ সৃষ্টি কৰিছিল, মানুহৰ মনত নানা বৈপ্লৱিক আশা জগাই তুলিছিল, কিন্তু তাৰ পাচত সুদীৰ্ঘ এবছৰ কাল ইন্দিৰা চৰকাৰে মুখেৰে সমাজবাদৰ মন্ত্ৰ আওৰাই থকাৰ বাহিৰে কামৰ বিশেষ একো অগ্ৰগতি লাভ কৰিব নোৱাৰিলে। বৰং টাটা আৰু বিৰলাৰ দৰে পুঁজিপতিক দিয়া বিশেষ সুবিধাই তেওঁৰ চৰকাৰৰ সমাজবাদী উদ্দেশ্য সম্পৰ্কেও মানুহক সন্দিহান কৰি তুলিলে। মুঠতে যোৱা এবছৰৰ ভিতৰত ইন্দিৰা চৰকাৰে কেবাটাও নকৰিবলগীয়া কাম কৰি আৰু কৰিবলগীয়া কাম নকৰি পেলাই থৈ তেওঁলোকৰ উৎসাহী সমৰ্থকসকলৰ মনতো নানা সন্দেহ আৰু নৈৰাশ্যৰ ভাব জগাই তুলিবলৈ আৰম্ভ কৰিলে।

ঠিক যি সময়তে ইন্দিৰা চৰকাৰ সম্পৰ্কে জনসাধাৰণৰ মোহ ভংগ হ'বলৈ আৰম্ভ কৰিছিল, সেই সময়তে ইন্দিৰা গান্ধীয়ে ৰাজন্যবৰ্গৰ বিশেষ ভাট্টা আৰু অন্যান্য সুবিধাবোৰ বন্ধ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰি তেওঁৰ কল্পনা শক্তিসম্পন্ন আৰু সাহসী নেতৃত্বৰ আৰু এবাৰ নতুনকৈ পৰিচয় দিছে। শ্ৰীমতী গান্ধীৰ অতি ডাঙৰ নিন্দুকেও এই কথা স্বীকাৰ কৰিব লাগিব যে স্বাধীন ভাৰতৰ কুৰি বছৰৰ ইতিহাসত জৱাহৰলাল নেহৰু আৰু লালবাহাদুৰ শাস্ত্ৰীৰ নিচিনা প্ৰধানমন্ত্ৰীয়ে নিৰংকুশ দলীয় সংখ্যাগৰিষ্ঠতাৰ জোৰেৰেও যি কেইটা কাম কৰিব নোৱাৰিলে, শ্ৰীমতী গান্ধীয়ে সংখ্যালঘু চৰকাৰৰ নেতৃত্ব কৰিও মাত্ৰ এবছৰৰ ভিতৰতে সেইটো কৰিবলৈ সমৰ্থ হ'ল। ৰাজ্যসভাত যদিও মাত্ৰ এটা ভোটৰ কাৰণে বিলখন গৃহীত নহ'ল তথাপিও ই এটা ডাঙৰ উদ্দেশ্য সাধন কৰিলে। সেইটো হৈছে এই যে স্বতন্ত্ৰ আৰু জনসংঘৰ লগতে বিৰোধী কংগ্ৰেছকো সমানে প্ৰতিক্ৰিয়াশীল আৰু জনস্বাৰ্থ বিৰোধী বুলি প্ৰমাণ কৰি দেখুৱালে। ৰাজ্যসভাত বি[illegible] নাকচ হোৱাৰ পাচত ইন্দিৰা চৰকাৰে ৰাজন্যবৰ্গৰ স্বীকৃতি প্ৰত্যাহাৰ কৰিবলৈ ব্যৱস্থা লৈ প্ৰতিক্ৰিয়া[illegible] চক্ৰান্তৰৰ উচিত প্ৰত্যুত্তৰ দিছে, আৰু চৰকাৰৰ এই কাৰ্য্যই শাসক কংগ্ৰেছ সম্পৰ্কে জনসাধাৰণৰ স্তিমিত উৎসাহক পুনৰ কিছু সঞ্জীৱিত কৰি তুলিব।

অৱশ্যে এই কাৰ্য্যৰ কাৰণে গান্ধী আৰু তেওঁৰ অনুগামীসকলক উচ্ছ্বসিত অভিনন্দন জনোৱাৰ কোনো প্ৰয়োজন নাই। যিবোৰ কাম কৰিবলৈ জনসাধাৰণৰ ওচৰত তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ, তাৰ ন্যূনতমখিনি মাত্ৰ কৰিবলৈ তেওঁলোকে আৰম্ভ কৰিছে। কিন্তু ইতিহাসৰ ৰেকৰ্ডৰ কাৰণে এই কামৰ এটা বিশেষ তাৎপৰ্য্যৰ প্ৰতি জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰাৰ প্ৰয়োজন আছে। সেইটো হ'ল এই যে বেংকৰ ৰাষ্ট্ৰীয়কৰণ আৰু প্ৰিভিপাৰ্চৰ উচ্ছেদসাধন এই দুয়োটা কামেই কংগ্ৰেছ দলৰ বিভাজনৰ পিছতহে সম্ভৱ হৈছে। আগতে ঘাইকৈ শ্ৰীমোৰাৰজী দেশাই আৰু তেওঁৰ সাঙ্গোপাঙ্গসকলৰ বিৰোধিতাৰ কাৰণেই বেংকৰ ৰাষ্ট্ৰীয়কৰণ সম্ভৱ হৈ উঠা নাছিল। এতিয়া প্ৰিভিপাৰ্চ উচ্ছেদসাধনৰ বেলিকাও চিণ্ডিকেট কংগ্ৰেছে এই বিলৰ বিৰুদ্ধে প্ৰতিক্ৰিয়াশীলতাৰ দুৰ্গস্বৰূপ জনসংঘ আৰু স্বতন্ত্ৰ দলৰ লগত একেলগ হৈ ভোট দিছে। ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে, ভাৰতৰ সামাজিক বিপ্লৱৰ নতুন প্ৰাণশক্তি সঞ্চাৰ কৰিবৰ কাৰণে কংগ্ৰেছ দলৰ বিভাজন অপৰিহাৰ্য্য হৈ পৰিছিল আৰু যিসকল লোকে এই বিভাজনৰ বিৰোধিতা কৰিছিল, তেওঁলোকে জানি বা নাজানি স্থিতাৱস্থা আৰু প্ৰতিক্ৰিয়াশীলতাৰ স্বাৰ্থৰ হকে কাম কৰিছিল।

ইন্দিৰা কংগ্ৰেছেও যে ভাৰতীয় সমাজৰ বৈপ্লৱিক পুনৰ্বিন্যাসৰ চেষ্টাত খুব বেছি গতিবেগ সঞ্চাৰিত কৰিছে সেই কথা আমি ক'ব নোখোজোঁ। তেওঁলোক অতি মন্থৰ গতিৰে আগবাঢ়িছে। অৱশ্যে লগতে আমি

এই কথাও মনত ৰাখিব লাগিব যে সংসদী গণতন্ত্ৰৰ পথ অনুসৰণ কৰা সমাজত খুব দ্ৰুত গতিৰে ন ন পৰিবৰ্তন অনাৰো কোনো উপায় নাই। দহজনৰ দহ ফালৰ টনা-আঁজোৰাত নানা আলাপ-আলোচনা আৰু আপোচ মীমাংশাৰ মাজেদি কাম কৰিব লগা হোৱাৰ কাৰণে গণতান্ত্ৰিক কাৰ্য্য-ব্যৱস্থাৰ গতি মন্থৰ হয়। এই মন্থৰতাই হ'ল জনসাধাৰণে গণতন্ত্ৰৰ কাৰণে দিবলগা মূল্য। কিন্তু পৰিবৰ্তনকামী বিপ্লৱী শক্তিবোৰ যদি অতি সক্ৰিয় হয় আৰু জনমতক ঠিকভাৱে সংগঠিত কৰা হয়, তেন্তে তাৰ মাজতো পৰিবৰ্তনৰ গতি খৰতকীয়া কৰিব পৰা হয়। ইন্দিৰা চৰকাৰে আজি যিকেইটা প্ৰগতিশীল কাৰ্য্য-ব্যৱস্থা হাতত লৈছে, তাৰ কাৰণে সকলো কৃতিত্ব কেৱল তেওঁৰ দলৰে প্ৰাপ্য নহয়। দেশৰ যিবোৰ বাওঁপন্থী শক্তিয়ে অবিৰাম হেঁচা দি ইন্দিৰা চৰকাৰক জনতাৰ স্বাৰ্থত কাম কৰিবলৈ বাধ্য কৰিছে, সেই দলবোৰেও সমানে এই কৃতিত্ব দাবী কৰিব পাৰে। বাওঁপন্থী দলসমূহে ইন্দিৰা চৰকাৰৰ ওপৰত এই হেঁচা কেৱল অব্যাহত ৰখাই নহয়— তাক আৰু শক্তিশালী কৰা উচিত।

ইন্দিৰা চৰকাৰৰ আৰু এটা কাম প্ৰশংসাৰ যোগ্য। সেইটো হৈছে ঔষধৰ মূল্য নিয়ন্ত্ৰণৰ চেষ্টা। এই চেষ্টা সম্পূৰ্ণ সফল হ'বলৈ হ'লে চৰকাৰ আৰু বেছি কঠোৰ আৰু সতৰ্ক হ'ব লাগিব। ঔষধৰ ব্যৱসায়ীসকলে যাতে দেশৰ কোটি কোটি নিৰক্ষৰ মানুহৰ অজ্ঞতাৰ সুযোগ লৈ তেওঁলোকক ঠগিব নোৱাৰে, অৰ্থাৎ পূৰণি অনিয়ন্ত্ৰিত দামতে এতিয়াও ঔষধ বেচি থাকিব নোৱাৰে, চৰকাৰে তাৰ প্ৰতি চকু ৰাখিব লাগিব। চৰকাৰৰ সমুখত এতিয়া আৰু দুটা জৰুৰী কৰ্তব্য হৈছে নিবনুৱা সমস্যাৰ সমাধান আৰু নিত্য-ব্যৱহাৰ্য্য বয়-বস্তুৰ মূল্য নিয়ন্ত্ৰণ। মূল্য-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিত্তমন্ত্ৰী শ্ৰীচৱনে যি অসহায়তা প্ৰকাশ কৰিছে সি আমাক হতাশ কৰিছে। এই ক্ষেত্ৰত যাতে চৰকাৰে অধিক শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰে তাৰ কাৰণে ৰাজনৈতিক দলসমূহে আৰু জনসাধাৰণে চৰকাৰৰ ওপৰত প্ৰচণ্ড হেঁচা দিয়া উচিত।

চৰকাৰ আৰু জনমত

যি চৰকাৰে জনমতৰ প্ৰতি উচিত সন্মান নেদেখুৱায় বা জনমতৰ প্ৰতি দৃষ্টি ৰাখি কাম নকৰে, সেই চৰকাৰ প্ৰকৃত গণতান্ত্ৰিক চৰকাৰক বুলি ক'ব নোৱাৰি। বাহিৰত লোকক দেখুৱাই গণতন্ত্ৰৰ মুখা পিন্ধিলেও তেনে চৰকাৰৰ আচল চৰিত্ৰ সম্পূৰ্ণ অগণতান্ত্ৰিক। দ্বিতীয়তে, বিধান সভা বা সংসদেই দেশৰ জনমতৰ একমাত্ৰ প্ৰতিভূ নহয়। সেইবোৰ অনুষ্ঠানৰ যোগেদি দেশৰ জনমত এটা অতি সীমিত ৰূপতহে প্ৰকাশ পায়। বাতৰি কাকত, সভা-সমিতি, গণবিক্ষোভ— এইবোৰৰ যোগেদি যি জনমত ফুটি উঠি তাৰ মাজতহে দেশৰ বৃহত্তৰ জনসাধাৰণৰ প্ৰকৃত মনোভাব আৰু অনুভূতি অকৃত্ৰিম ৰূপত ব্যক্ত হয়। কিন্তু এইবোৰো হ'ল বতাহ লাগি ব্ৰহ্মপুত্ৰৰ বুকুত উঠা ঢৌৰ নিচিনা বস্তু। সেই লোক-দৃষ্ট তৰংগমালাৰ তলতো তীব্ৰ অনুভূতিৰ এনে এটা কোবাল সোঁত বৈ থাকে, যাক বাহিৰৰ পৰা কোনেও অনুমান কৰিব নোৱাৰে। কিন্তু যাৰ অস্তিত্ব অস্বীকাৰ কৰিলে সময়ত বিপদৰ ভয় থাকে। বুদ্ধিমান আৰু সংবেদনশীল শাসকে এই অব্যক্ত জনমতৰ প্ৰতিও এখন কাণ সদায় থিয় কৰি ৰাখে। বিখ্যাত ঐতিহাসিক জৰ্য মেকলে' ট্ৰেভেলিয়ানে কৈ গৈছে যে ফৰাচী বিপ্লৱৰ প্ৰকৃত কাৰণবোৰ আৰু পটভূমিটো নিখুঁত বৈজ্ঞানিক পদ্ধতিৰে বিশ্লেষণ কৰিবলৈ হ'লে ঠিক তাৰ আগে আগে দুই-তিনি শতাব্দী ধৰি ইউৰোপৰ ঘৰে ঘৰে চলা কথা-বাৰ্তা আৰু আলোচনাবোৰ আমি ভালকৈ জানিব লাগিব। ইতিহাসৰ পৰা যদি আধুনিক শাসকে কিবা শিক্ষা আহৰণ কৰিব খোজে আৰু জনতাক বিক্ষোভৰ পথলৈ ঠেলি দিব নোখোজে, তেন্তে দেশৰ প্ৰকৃত জনমত জানিবৰ কাৰণে [illegible] কেৱল বিধান সভাত এম. এল. এ.ৰ বক্তৃতা বা বাতৰি কাকতৰ মতামত বা চৰকাৰী চোৰাংচোৱা ৰিপোৰ্টৰ ওপৰতে নিৰ্ভৰ নকৰি মানুহৰ ঘৰে ঘৰে বা হাটে-বজাৰে হোৱা আলাপ-আলোচনাৰ প্ৰতিও নিজৰ কাণ সজাগ কৰি ৰাখিব লাগিব। এক কথাত তেওঁলোক হ'ব লাগিব অতি মাত্ৰাই চেনজিটিভ বা স্পৰ্শকাতৰ।

অসম চৰকাৰৰ আন হাজাৰটা দোষ থাকিলেও তেওঁলোকৰ ওপৰোক্ত দোষটি সমূলি নাই, অৰ্থাৎ অসম চৰকাৰৰ সাত শত্ৰুৱেও ক'ব নোৱাৰে যে তেওঁলোক স্পৰ্শকাতৰ। 'কুকুৰে ভুকিব লাগিছে, ভুকিবলৈ দিয়া।' তেওঁলোকৰ মনোভাবটো হ'ল সদায় এই ধৰণৰ। জনমতৰূপী কুকুৰে ভুকি থাকিলেও তেওঁলোকৰ খাৱন-শোৱন বা শান্তিৰ অকণো ব্যাঘাত নঘটে। অসম চৰকাৰৰ এই মনোভাৱৰ একেবাৰেই শেহতীয়া উদাহৰণ হ'ল ৰাজধানী স্থানান্তৰৰ প্ৰশ্নটো। অসমৰ গৰিষ্ঠ সংখ্যক ৰাইজে ৰাজধানীখন পাহাৰৰ পৰা ভৈয়ামলৈ নমাই আনিব লাগে বুলি বহু বছৰৰ পৰা দাবী কৰি আহিছে। আগতে চৰকাৰে এই দাবী ওফোৰাই দিছিল। এই যুক্তিত যে পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ কাৰণে পাহাৰত অৰ্থাৎ চিলঙত থকাটো একান্ত অপৰিহাৰ্য্য। অসমৰ ৰাইজে এই যুক্তিত পতিয়ন নগ'লেও নানা কথা চিন্তা কৰি চৰকাৰৰ ওচৰত এই বিষয়ে বেছি জোৰ দিয়া নাছিল। কিন্তু মেঘালয় স্থাপিত হোৱাৰ পিছত অসমৰ ৰাজধানী চিলঙত ৰখাৰ একমাত্ৰ যুক্তিটো নোহোৱা হ'ল। আজি অসমৰ ৰাইজে একেবাক্যে আৰু সমস্বৰে দাবী কৰিছে যে আৰু এটা দিনো অবাবতে নষ্ট নকৰি অসমৰ ৰাজধানী ভৈয়ামৰ কোনো এখন উপযুক্ত ঠাইলৈ নমাই আনিব লাগে। এই দাবীৰ মূলতে কোনো জেদ বা ভাব-প্ৰৱণতা নাই, তাৰ মূলতে আছে অখণ্ডনীয় যুক্তি আৰু ঐক্যবদ্ধ জনমত। অসমৰ

সকলোবোৰ বাতৰি কাকতে আৰু সকলোবোৰ দল-উপদলে ৰাজধানী চিলঙৰ পৰা নমাই আনিব লাগে বুলি একেবাক্যে দাবী কৰিছে। সেই দাবীৰ সমৰ্থন কৰি ঘৰে ঘৰে আলোচনা চলিছে। বিধান সভাতো দল নিৰ্বিশেষে চৰকাৰী আৰু বিৰোধী দুয়োপক্ষ সদস্যই এই দাবী উত্থাপন কৰিছে, কিন্তু এইবোৰ একোয়েই অসম চৰকাৰক টলাব পৰা নাই। অবিশ্বাস্য স্পৰ্ধাৰে সৈতে অসম চৰকাৰে আন এটা শক্তিশালী আৰু ঐক্যবদ্ধ জনমতক অপমান কৰি চিলঙতে অসমৰ ৰাজধানী থাকিব বুলি ঘোষণা কৰি আছে।

চৰকাৰে ৰাইজৰ নাৰীৰ স্পন্দন বা অনুভূতিৰ খবৰ ৰখাৰ প্ৰয়োজন অনুভৱ নকৰিব পাৰে, কিন্তু বাতৰি কাকতে এই প্ৰয়োজনক অস্বীকাৰ কৰি চলিব নোৱাৰে। আমি ৰাইজৰ ভাব-গতিৰ খবৰ ৰাখিবলৈ সদায় যত্ন কৰোঁ। আৰু ইতিমধ্যেই আমি যি খবৰ পাইছোঁ, তাৰ ওপৰতে ভিত্তি কৰি ক'ব পাৰোঁ যে ১৯৬০ চনত অসমীয়া ভাষা ৰাজ্য ভাষা হ'ব বুলি সময়মতে আৰু স্পষ্টভাৱে ঘোষণা নকৰাৰ ফলত ৰাজ্যজুৰি যেনেকৈ প্ৰচণ্ড আন্দোলন চলিছিল, ৰাজধানী স্থানান্তৰৰ দাবীতো তেনেকৈয়ে এদিন আগত বা পিচত ৰাইজে আন্দোলন কৰিবই। আনহাতে পৃথিৱীত এনে কোনো শক্তি নাই যাৰ সহায়েৰে অসম চৰকাৰে চিৰকাল দূৰৰ কথা— অনিৰ্দিষ্ট কাললৈও চিলঙত ৰাজধানী ৰাখি থ'ব নোৱাৰে। গতিকে ৰাজধানী কেতিয়া ভৈয়ামলৈ নমাবই লাগিব, তেনেস্থলত ৰাইজক অনাৱশ্যক আন্দোলনলৈ ঠেলি দিয়াটো কোনো চৰকাৰৰ পক্ষেই সু-বুদ্ধিৰ পৰিচায়ক নহ'ব। এই কথাটো অসম চৰকাৰে যিমান সোনকালে উপলব্ধি কৰে, সিমানেই সকলোৰে পক্ষে মঙ্গল।

অসমৰ কোনো ৰাজনৈতিক দলকে ৰাজধানী স্থানান্তৰৰ দাবীত ৰাইজৰ দাবী সমৰ্থন কৰি মাত মাতিবলৈ আৰু জনমতক সংগঠিত কৰিবলৈ ওলাই অহা আমি দেখা নাই। তেওঁলোকে যদি এইটোকেই ইলেকছনৰ এটা 'ইচু' কৰি সস্তাতে বাজীমাৎ কৰিম বুলি আশা কৰি বহি আছে, তেন্তে তেওঁলোকে ডাঙৰ ভুল কৰিছে। ৰাইজৰ প্ৰত্যেকটো ন্যায়সঙ্গত দাবীকেই ৰাজনৈতিক যুদ্ধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটো সদায় প্ৰকৃত দেশপ্ৰেম বা নৈতিক সততাৰ পৰিচায়ক নহয়। শাসক কংগ্ৰেছকে আদি কৰি অসমৰ সকলো ৰাজনৈতিক দলেই ঐক্যবদ্ধভাৱে থৈয় হৈ অসম চৰকাৰক অতি সোনকালে জনতাৰ দাবীৰ ওচৰত সেও মনাবলৈ চেষ্টা কৰিব বুলি আশা কৰিলো।

শ্ৰীচলিহা আৰু অসম কংগ্ৰেছ

অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা দীৰ্ঘকাল ধৰি অসুস্থ হৈ আছে। যোবা বাৰ বছৰতকৈও অধিক কাল ধৰি অসমৰ মুখ্যমন্ত্ৰীৰূপে থাকি চলিহাই তেওঁৰ সবল ব্যক্তিত্ব আৰু উদাৰ নেতৃত্বৰ দ্বাৰা সকলো শ্ৰেণীৰ ৰাইজৰ পৰা যিখিনি শ্ৰদ্ধা আৰু সদিচ্ছা লাভ কৰিছে, সাম্প্ৰতিক কালত অতি কম অসমীয়া নেতাৰ পক্ষেহে সিমানখিনি লাভ কৰাৰ সৌভাগ্য ঘটিছে। এতিয়াও তিনিকুৰিৰ দেওনা পাৰ নোহোবা এই নেতাজনৰ পৰা অসমৰ ৰাইজে আৰু বহুখিনি মূল্যবান সেৱা পাবলৈ আশা কৰে। গতিকে শ্ৰীচহিলাই যাতে অতি সোনকালে সম্পূৰ্ণ আৰোগ্য লাভ কৰি আগতকৈ দুগুণ শক্তি আৰু উৎসাহেৰে দেশ সেৱাৰ কামত ব্ৰতী হ'ব পাৰে অসমৰ ৰাইজে একান্তভাৱে তাকেই কামনা কৰে।

কিন্তু আমি পৰম দুখেৰে লক্ষ্য কৰি আহিছোঁ যে শ্ৰীচলিহাৰ আৰোগ্য লাভৰ বাটত নানা ধৰণৰ প্ৰতিবন্ধকতা সৃষ্টি কৰিবলৈ চেষ্টা কৰি থকা হৈছে। অসমৰ নিচিনা এখন সমস্যাবহুল ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ বোজা ইমান গধুৰ যে এজন সম্পূৰ্ণ সুস্থ আৰু সবল মানুহৰ পক্ষেও নিজৰ শৰীৰ ঘূণীয়া নকৰাকৈ তাক বেছি দিন বহন কৰা সম্ভৱ নহয়। গুৰুতৰ অসুখত শয্যাশায়ী হৈ থকা এজন মানুহৰ পক্ষে এই বোজা কান্ধত লৈ থকাটোও একেবাৰে অসম্ভৱ। তেওঁ যদি আনকি কাগজ এখনো হাতেৰে স্পৰ্শ নকৰে, তথাপি নিজৰ গুৰু দায়িত্বৰ চেতনা আৰু বিবেকৰ দংশনে এটা মুহূৰ্তত কাৰণেও তেওঁক সম্পূৰ্ণ মানসিক স্বস্তি লাভ কৰিবলৈ কেতিয়াও নিদিয়ে। ফলত আৰোগ্য লাভৰ কাৰণে প্ৰয়োজনীয় মানসিক বিশ্ৰামৰ পৰা তেওঁ সম্পূৰ্ণ বঞ্চিত হয়। বৰ্তমান চলিহাৰ ক্ষেত্ৰত ঠিক সেয়াই হৈছে। যদিও কোৱা হৈছে যে বহুদিনৰ পৰা তেওঁৰ সতীৰ্থসকলৰ মাজত সকলোবোৰ দায়িত্ব বিতৰণ কৰি দি নিজে ঘৰত জিৰণি লৈ বহিয়েই আছে, কিন্তু নামত মুখ্যমন্ত্ৰী হৈ থকালৈকে তেওঁ সম্পূৰ্ণ জিৰণি কেতিয়াও পাব নোৱাৰে। ফলত যি গতিৰে তেওঁ হেৰুৱা স্বাস্থ্য ঘূৰাই পাব লাগিছিল, সেই গতি নিশ্চয় ব্যাহত হৈছে।

এনে অৱস্থাত প্ৰশ্ন উঠিব পাৰে— শ্ৰীচলিহাই ভগ্ন দেহেৰেও ৰাইজৰ মুখ্যমন্ত্ৰিত্বৰ গুৰু ভাৰ বহন কৰি যি অতুলনীয় দেশপ্ৰেম আৰু ত্যাগৰ পৰিচয় দিছে তাৰ পৰা প্ৰকৃততে কাৰোবাৰ কিবা লাভ হৈছেনে? ভাগ্যবশত এই প্ৰশ্নৰ এটাই মাথোঁ উত্তৰ আছে আৰু সি সম্পূৰ্ণ নেতিবাচক। শ্ৰীচহিলাই নিজৰ দীঘলীয়া অসুখকো আওকাণ কৰি মুখ্যমন্ত্ৰী হৈ থকাৰ ফলত তেওঁৰ নিজৰ স্বাস্থ্যৰতো উন্নতি হোৱাত বাধা পৰিছেই, লগেলগেই অসমৰ প্ৰশাসন ব্যৱস্থাকো তেওঁ ৰুগীয়া আৰু দুৰ্বল কৰি তুলিছে। আজি অসমৰ মন্ত্ৰীসভাখনৰ অৱস্থা হৈছে গুৰিয়াল নথকা নাৱৰ নিচিনা। মুখ্যমন্ত্ৰী হৈ গুৰুত্বপূৰ্ণ কাৰ্যভাৰ বহন কৰা মন্ত্ৰীজনৰ দায়িত্ব আছে, কিন্তু কৰ্তৃত্ব নাই। সমূহীয়াভাৱে মন্ত্ৰীসভাখনৰ কাৰো প্ৰতি আনুগত্য নাই। যাৰ প্ৰতি তেওঁলোকৰ আনুগত্য থকাৰ কথা তেওঁ ঈশ্বৰৰ দৰেই অদৃশ্য আৰু অনধিগম্য। অৱশ্যে কোনোবাই যদি ভাবে যে চৰকাৰী পক্ষৰ দলপতি বা মুখ্যমন্ত্ৰীজন হ'ল শালগ্ৰাম শিলৰ দৰে এটা প্ৰতীক মাত্ৰ, দলৰ কাৰণে তেওঁৰ বা প্ৰশাসনিক নেতৃত্বৰ কোনো দৰকাৰ নাই, কেৱল বছৰৰ মূৰত এবাৰ নাইবা দুবাৰ তেওঁক ৰাইজৰ আগত

উলিয়াই দেখুৱাব পাৰিলেই হৈ গ'ল, তেতিয়া হ'লে বৰ্তমানৰ পৰিস্থিতিত তেওঁলোকৰ আপত্তি কৰিবলগীয়া কথা নিশ্চয় একো নাই। কিন্তু আমি তেনেদৰে ভাবোঁ। আমি ভাবোঁ যে সংসদী গণতন্ত্ৰত শাসক দলৰ নেতাজনে কিছুমান গুৰু দায়িত্ব পালন কৰে, যিবোৰ তেওঁৰ অবিহনে আন কোনেও পালন কৰিব নোৱাৰে। সংসদ বা জনসাধাৰণৰ প্ৰতি মন্ত্ৰীসভাখনৰ যি দায়িত্ব বা দায়বদ্ধতা আছে নেতাজনে হ'ল তাৰেই মুখপাত্ৰ। তদুপৰি মন্ত্ৰীসভাখনত যিমানেই বুদ্ধিমান আৰু কাৰ্য্যদক্ষ লোক নাথাকক কেৱল নেতাজনেহে তাক এটা সামূহিক উদ্দেশ্য আৰু লক্ষ্য পথৰ সন্ধান দিব পাৰে। এইখিনি কথা যদি অস্বীকাৰ কৰা হয়, তেন্তে সংসদী গণতন্ত্ৰত দলপতিৰ ভূমিকাই অৰ্থহীন বুলি প্ৰতীয়মান কৰা হয়। আজি অসমত ঠিক তাকেই কৰা হৈছে। ফলত আজি অসমৰ ৰাজনৈতিক নেতৃত্বৰ ক্ষেত্ৰত এটা বিৰাট শূন্যতাবোধে দেখা দিছে, ৰাজনৈতিক দায়িত্ববোধ কমিছে, কিন্তু সেই অনুপাতে আমোলাতন্ত্ৰৰ প্ৰকোপ বাঢ়িছে আৰু সকলোতকৈ দুৰ্ভাগ্যৰ কথা এয়েই যে এটা বিষয়ক ৰাজনৈতিক দলৰ সংকীৰ্ণ স্বাৰ্থৰ কাৰণে এজন ব্যক্তিৰ অপৰিহাৰ্য্যতা ইমান ডাঙৰকৈ দেখুওৱা হৈছে যে সি এটা 'পাৰ্চনেলিটি কাল্ট'— ব্যক্তি পূজাত পৰিণত হৈছে। যি ধৰণৰ 'পাৰ্চনেলিটি কাল্ট' একমাত্ৰ একনায়কত্ববাদী শাসন ব্যৱস্থাতহে সম্ভৱপৰ হ'ব বুলি আমি ভাবিছিলো।

অসুস্থ দেহাৰেও শ্ৰীচলিহা কাৰ স্বাৰ্থত অসমৰ মুখ্যমন্ত্ৰী হৈ আছে? ৰাইজৰ স্বাৰ্থত নিশ্চয় নহয়। কাৰণ ৰাইজৰ স্বাৰ্থৰ কাৰণে এনে এজন সুস্থ আৰু সবল মুখ্যমন্ত্ৰীৰ দৰকাৰ, যিজনে জাগ্ৰত অৱস্থাৰ প্ৰতিটো মুহূৰ্ত দেশৰ কাৰণে কাম কৰিব পাৰে। তেন্তে নিজৰ স্বাৰ্থত? সিও একেবাৰে অসম্ভৱ। কাৰণ চলিহাৰ দৰে এজন গান্ধীবাদী মহানুভৱ আৰু নিষ্কলুষ চৰিত্ৰৰ মানুহে কেৱল ক্ষমতাৰ লোভত মুখ্যমন্ত্ৰীৰ গাদী কামুৰি থাকিব— এনে কথা তেওঁৰ সাত শত্ৰুৱেও কেতিয়াও নেভাবে। বিশ্লেষণ কৰি চালে দেখা যায় যে দীৰ্ঘকাল ধৰি শয্যাশায়ী হৈ থাকিব লগা অৱস্থাতো চলিহাই মুখ্যমন্ত্ৰী হৈ থাকিবলৈ বাধ্য হোৱাৰ একমাত্ৰ কাৰণ হ'ল অসমত কংগ্ৰেছ দলৰ ঐক্য ৰক্ষা। অৰ্থাৎ দলপতি হিচাপে চলিহাই পদত্যাগ কৰিলেই তেওঁৰ খালী পদৰ কাৰণে কংগ্ৰেছী নেতাসকলৰ মাজত এনে এখন মৰণ-পণ সংগ্ৰাম চলিব যে তাৰ ফলত কুৰু-পাণ্ডৱৰ যুদ্ধত ভাৰতভূমি শ্মশানত পৰিণত হোৱাৰ দৰে অসমত কংগ্ৰেছ দলো শ্মশানত পৰিণত হ'ব। .... আমি ইমান দিনে জানি আহিছিলো যে একমাত্ৰ আদৰ্শ আৰু উদ্দেশ্যৰ ঐক্যইহে একোটা ৰাজনৈতিক দলক ঐক্যবদ্ধ কৰি ৰাখে; কিন্তু পৃথিৱীৰ ইতিহাসত অসমৰ কংগ্ৰেছ দলেই প্ৰমাণ কৰি দেখুৱালে যে কেতিয়াবা এনে ঐক্যৰ কাৰণে আদৰ্শতকৈও বেছি প্ৰয়োজন হৈ পৰে এজন ৰুগ্ন মানুহৰ প্ৰতীকী নেতৃত্বৰ।

মধ্যযুগত কেতিয়াবা সম্ৰাট বা বাদচাহৰ মৃত্যু হ'লেও বহুদিনলৈকে সেই সংবাদ গোপন কৰি ৰখা হৈছিল কেৱল এই ভয়ত যে ৰাজপাটৰ উত্তৰাধিকাৰীত্বৰ কাৰণে হয়তো ৰাজ্যত ৰক্তাক্ত সংগ্ৰাম বা গৃহ-যুদ্ধই দেখা দিব পাৰে। সম্ৰাট অসুস্থ হৈ পৰিলেও মাজে মাজে তেওঁ খিৰিকী মুখলৈ আহি ৰাজপথৰ জনতাক নিজৰ মুখখন দেখুৱাই যায়— কাৰণ জন-মানসত একমাত্ৰ তেৱেঁই হ'ল সকলো ক্ষমতাৰ কেন্দ্ৰীভূত প্ৰতীক বা বিগ্ৰহ। পৃথিৱীৰ সকলো গণতান্ত্ৰিক দেশৰ কাৰণেই এইবোৰ কথা আজি ইতিহাসৰ সুদূৰ স্মৃতি মাত্ৰ। কিন্তু অসমৰ কংগ্ৰেছ দলে সেই শতাব্দী-প্ৰাচীন সামন্তবাদী পৰম্পৰাকো আজি এক সন্দেহজনক স্বাৰ্থৰ কাৰণে পুনৰ জীয়াই তুলিছে। তাৰ দ্বাৰা এই কথাই প্ৰমাণ হৈছে যে অসমত গণতন্ত্ৰৰ পৰীক্ষা অকণো সফল হোৱা নাই। কাৰণ গণতন্ত্ৰ যেতিয়া সম্পূৰ্ণ সফল আৰু শক্তিশালী হয়, তেতিয়া এজন নেতাৰ খালী ঠাই পূৰণ

কৰিবলৈ শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক পদ্ধতিৰে ন ন নেতা ওলায়েই থাকে। যি গণতন্ত্ৰ বা যি ৰাজনৈতিক দলে প্ৰয়োজনৰ মুহূৰ্তত ন ন নেতা উলিয়াই দিব নোৱাৰে, বা সংখ্যাগৰিষ্ঠ সদস্যৰ মত মানি নলৈ ক্ষমতাৰ খোৱা-কামোৰাত সকলো আদৰ্শ জলাঞ্জলি দি নিজৰ দলকেই ধ্বংস কৰে— তেনে নীতিজ্ঞান বিবৰ্জিত ৰাজনৈতিক দলৰ জীয়াই থাকিবলৈ কোনো অধিকাৰ নাই। আজি অসমৰ কংগ্ৰেছ দলে এনে এটা ধাৰণা প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছে যে শ্ৰীচলিহাই মুখ্যমন্ত্ৰীৰ বাব এৰি দিলে অসম জহান্নামে যাব। এনে প্ৰচাৰ অসমৰ জন সাধাৰণৰ প্ৰতি এটা অপমান স্বৰূপ। কংগ্ৰেছ দলে এটা ধাৰণা প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছে যে শ্ৰীচলিহাই পদত্যাগ কৰিলে কংগ্ৰেছ দল ভাগি-ছিগি ঠান-বান হ'ব। আমি ভাবোঁ যে যিটো দলে আদৰ্শৰ জোৰেৰে নিজকে সবল কৰি ৰাখিব নোৱাৰে আৰু যিটো দলৰ জোৰা-টাপলি মৰা কৃত্ৰিম ঐক্য ৰক্ষাৰ কাৰণে এজন ৰুগ্ন আৰু অনিচ্ছুক মানুহৰ নেতৃত্ব নহ'লেই নচলে, তেনে এটা আদৰ্শহীন দুৰ্বল দল ধ্বংস হৈ যোৱাই বেছি ভাল। মুঠতে আমি ভাবোঁ যে অসমৰ স্বাৰ্থৰক্ষাৰ কাৰণে অহোৰাত্ৰী পৰিশ্ৰম কৰিব পৰা এজন সুস্থ-সবল মুখ্যমন্ত্ৰীৰ দৰকাৰ। আমি এইটোও ভাবোঁ যে শ্ৰীচলিহাই সম্পূৰ্ণ আৰোগ্য লাভ কৰি অসমক আৰু বহুকাল নেতৃত্ব দিবৰ কাৰণে তেওঁ এতিয়া মুখ্যমন্ত্ৰীৰ দায়িত্ব এৰি দি সম্পূৰ্ণ জিৰণি লোৱা দৰকাৰ। তেওঁ যে এইটো কৰিবলৈ বহুবাৰ ইচ্ছা কৰিছে সেই কথাও আমি জানো। কিন্তু অসমৰ কংগ্ৰেছ দলে বা সেই দলৰ এটা বুজন অংশই দেশৰ স্বাৰ্থতকৈ দলৰ স্বাৰ্থক আগ ঠাই দি শ্ৰীচলিহাক মুখ্যমন্ত্ৰী হৈ থাকিবলৈ বাধ্য কৰিছে, আৰু শ্ৰীচলিহা নহ'লে অসমত প্ৰশাসনিক অস্থিৰতাই দেখা দিব বুলি ভাবুকি দেখুৱাই অসমত জনসাধাৰণৰ ওপৰত ব্লেকমেইল কৰিছে। ৰাজনৈতিক নৈতিকাতৰ স্বাৰ্থত আৰু অসমৰ প্ৰশাসনৰ স্বাৰ্থত এই অৱস্থাৰ অতি সোনকালে অন্ত পৰা দৰকাৰ। এই ক্ষেত্ৰত এতিয়া প্ৰথম পদক্ষেপ ল'ব পাৰে একমাত্ৰ শ্ৰীচলিহাই।

আমাৰ কথা

আৰু এদিন পাচতেই, অৰ্থাৎ অহা দুই অক্টোবৰ তাৰিখে সাপ্তাহিক নীলাচলে দুবছৰ সম্পূৰ্ণ কৰিব। বাতৰি কাকতৰ প্ৰকাশ আৰু প্ৰচাৰৰ কাৰণে আমাৰ বৌদ্ধিক পৰিবেশ বৰ অনুকূল নহয়। আমাৰ সমাজত শিক্ষিত মানুহ সংখ্যা আগতকৈ যদিও বহুত বাঢ়িছে, কিন্তু সেই অনুপাতে পঢ়া-শুনা বা চিন্তা-চৰ্চা কৰা মানুহৰ সংখ্যা বঢ়া নাই। আমাৰ বেছিভাগ মানুহৰ কাৰণেই এতিয়াও বাতৰি কাকত আৰু আলোচনী আহৰি সময় কটোৱাৰ আহিলা মাত্ৰ, চিন্তা-চৰ্চাৰ অপৰিহাৰ্য্য উপকৰণ নহয়। অসমীয়া ধনিক শ্ৰেণীৰ বেছি সংখ্যকেই বাতৰি কাকত পঢ়াৰ প্ৰয়োজনীয়তা বৰকৈ অনুভৱ নকৰে। অসমীয়া সংস্কৃতি আৰু অসমীয়া চিন্তা-চৰ্চাৰ লগত বিচ্ছেদেই হ'ল অসমত ধনী হোৱাৰ অন্যতম কাৰণ; অসমীয়া চাকৰিয়ালৰ দৰ্মহা বা অসমীয়া ব্যৱসায়ীৰ বেংক বেলেন্স এটা নিৰ্দিষ্ট সীমাৰেখা পাৰ হৈ যোৱাৰ পাচতেই অসমীয়া সাহিত্য-সংস্কৃতিৰ আৰু জ্ঞান চৰ্চাৰ প্ৰতি অবজ্ঞাৰ মনোভাব প্ৰদৰ্শন কৰাটোকেই নিজৰ শ্ৰেষ্ঠত্ব প্ৰমাণৰ অন্যতম উপায় বুলি গণ্য কৰিবলৈ তেওঁলোকে আৰম্ভ কৰে। প্ৰসংগত এটা কথা উল্লেখ কৰিব পাৰি যে অসমীয়া ধনিক শ্ৰেণীৰ দৰে সংস্কৃতি-বিমুখ আৰু উচ্চ চিন্তা-চৰ্চাৰ লগত সম্পৰ্কহীন শ্ৰেণী ভাৰতৰ আন কোনো সমাজতেই বোধহয় পাবলৈ নাই। দুই-এটা ব্যতিক্ৰম যদি ক'ৰবাত কেনেবাকৈ আছে, তেন্তে সিও সাধাৰণ নিয়মটোহে প্ৰমাণ কৰে। সি যি কি নহওক, এনে এটা পৰিৱেশত বাতৰি কাকত বা আলোচনী প্ৰকাশ কৰিবলৈ আগবঢ়াটো এক প্ৰকাৰ মৰসাহৰহে চিন বুলি ক'ব পাৰি। তেনে এটা মৰসাহ কৰিলেই আজিৰ পৰা দুবছৰৰ আগতেই আমি সাপ্তাহিক নীলাচলক ৰাইজৰ আগলৈ আগবঢ়াইছিলো। কিন্তু আজি আমি ৰাইজক জনাবলৈ পাই সুখী হৈছোঁ যে আমাৰ সেই মৰসাহ সম্পূৰ্ণ ব্যৰ্থ বা অসাৰ্থক বুলি প্ৰমাণিত হোৱা নাই। এই দুবছৰৰ ভিতৰতে সাপ্তাহিক নীলাচলে অসমৰ ৰাইজৰ পৰা যি অভূতপূৰ্ব সমাদৰ লাভ কৰিছে, সি কেৱল এই কথাই প্ৰমাণ কৰিছে যে অসমৰ ৰাইজৰ মাজতো চিন্তা-চৰ্চাৰ এটা নতুন জাগৰণ আৰম্ভ হৈছে। এই জাগৰণত সামান্যভাৱে হ'লেও সাপ্তাহিক নীলাচলে নিজৰ অৰিহণা যোগাবলৈ পাই নিজকে ধন্য মানিছোঁ।

দুবছৰ সময় এখন বাৰ্তালোচনীৰ কাৰণে চকুৰ এটা পলক মাত্ৰ। আমাৰ কৰিবলগীয়া যিখিনি কাম আছে বা যিমানখিনি কৰিম বুলি আমি পৰিকল্পনা কৰি লৈছোঁ, তাৰ কণমাত্ৰও আমি এতিয়ালৈকে সম্পূৰ্ণ কৰিব পৰা নাই। অৱশ্যে আমি যে দুই-এটা কাম কৰিছোঁ, আশা কৰোঁ ৰাইজে সেই কথা মন কৰিছে। প্ৰথম সংখ্যা নীলাচলৰ সম্পৰ্কে নিবেদনত আমি অন্যান্য বহু কথাৰ লগতে এই কথাও ব্যক্ত কৰিছিলোঁ— মেথু আৰ্নল্ডে ভাবিছিল যে যিসময়ত মূল্যবোধ সন্দেহভাজন হৈ পৰে, সেই সময়ত কাব্য ৰচনাতকৈও অধিক জৰুৰী প্ৰয়োজন হয় সমালোচনাৰ। কোৱা বাহুল্য মাথোন যে এই সমালোচনা কেৱল কিতাপৰ বা শিল্পকলাৰ নহয়; এই সমালোচনাৰ বিষয়বস্তু হ'ল সমগ্ৰ সমাজ। সমসাময়িক ভাৰতীয় জীৱনত এনে এটা অৱস্থাৰ উদ্ভৱ হৈছে বুলি আমি ভাবোঁ আৰু সেই কাৰণেই আমাৰ উদ্দেশ্য হ'ব বিভিন্ন দৃষ্টিকোণৰ পৰা সমাজৰ বিষয়ে খৰচি মাৰি চিন্তা কৰা, আলোচনা কৰা আৰু সমালোচনা কৰা— যাতে চিন্তাবিমুখ স্বাৰ্থপৰ নেতাৰ হাতৰ পৰা, প্ৰথাসিদ্ধ মিথ্যাচাৰৰ পৰা অৰ্দ্ধসত্য-অসত্য আৰু ভুল সংস্কাৰৰ নাগপাশৰ পৰা আমি সমাজক মুক্ত কৰিব পাৰোঁ। যোৱা দুবছৰ সাপ্তাহিক নীলাচলৰ পাতত আমি কেবাটাও গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ আলোচনাৰ অৱতাৰণা কৰিছোঁ আৰু সুখৰ কথা যে অসমৰ বহুতো নেতৃস্থানীয় আৰু উদীয়মান

বুদ্ধিজীৱীয়ে সেইবোৰ বিতৰ্কত অংশ গ্ৰহণ কৰি অসমত চিন্তা-চৰ্চা আৰু সমালোচনাৰ এটা বাতাবৰণ সৃষ্টি কৰিছে। এনে ধৰণৰ সমালোচনাৰ প্ৰয়োজন হৈছে বুলি আমি ভাবোঁ। কাৰণ ভাৰতীয় সমাজ সম্প্ৰতি ন আৰু পুৰণিৰ যি দোমোজাত থিয় দিছে এই অৱস্থাত কিছুমান পুৰণি কথা এৰা আৰু নতুন কথা গ্ৰহণ কৰাৰ আগতে সকলোবোৰ মূল্যবোধ আৰু সামাজিক আদৰ্শক ভাল কৈ চালি-জাৰি পৰীক্ষা কৰি চোৱাৰ প্ৰয়োজন আছে। আগন্তুক বছৰবোৰত আমি অধিকতৰ সু-পৰিকল্পিতভাৱে এনেবোৰ সামাজিক গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনা আৰু বিতৰ্কৰ অৱতাৰণা কৰিম বুলি আশা ৰাখিছোঁ।

অসমৰ দৰে অনগ্ৰসৰ দেশ এখনত সমাজৰ আৰু এটা ডাঙৰ সমস্যা হৈছে ইয়াত যদিও সকলো শ্ৰেণীৰ মানুহে সাধাৰণভাৱে পিচ পৰা, তাৰ ভিতৰতে আকৌ কিছুমান সামাজিক গোষ্ঠী বা শ্ৰেণী বা সম্প্ৰদায়ে বিশেষভাৱে পিচপৰা। অৰ্থাৎ উন্নতিৰ সুযোগ-সুবিধা সকলো শ্ৰেণীৰ মানুহে সমানভাৱে পোৱা নাই। এই অৱস্থাৰ অৱসান ঘটাবৰ কাৰণে অন্যান্য বহুতো কামৰ ভিতৰত এটা বিশেষভাৱে কৰিবলগীয়া কাম হ'ল মুখৰ মাত নোহোৱা এই অৱহেলিত আৰু শোষিত মানুহবোৰক মাতিবলৈ বা নিজৰ দাবীবোৰ ব্যক্ত কৰিবলৈ সুবিধা দিয়া। এই উদ্দেশ্য আগত ৰাখি আমি যোৱা বছৰটোত 'ন-অসমীয়া মুছলমান' আৰু চাহ মজদুৰ সম্প্ৰদায়ৰ ওপৰত দুটা বিশেষ সংখ্যা প্ৰকাশ কৰিছোঁ। আমি অসমৰ অন্যান্য পিচ পৰি থকা আৰু অপ্ৰকাশৰ আন্ধাৰ কোণত লুকাই থকা লোক-গোষ্ঠীবোৰৰ বিষয়েও আমাৰ কাকতত প্ৰকাশ কৰাৰ পৰিকল্পনা কৰিছোঁ। এনে এলানি আলোচনাই আন একো কৰিব নোৱাৰিলেও, সমাজৰ পাতালত নিৰ্বাসিত অৱস্থাত জীৱন কটোৱা এই দুৰ্ভগীয়া মানুহবোৰৰ সম্পৰ্কে অন্ততঃ অন্যান্য সৌভাগ্যবান লোকক কিছু সচেতন কৰি তুলিব। আমাৰ চাহ মজদুৰৰ বিশেষ সংখ্যাটো প্ৰকাশ হৈ ওলোৱাৰ লগে লগেই অসমৰ বহুতো সদাশয় শিক্ষিত মানুহে চিঠি লিখি আমাক ধন্যবাদ জনাইছে। তেওঁলোকে ইয়াৰ আগলৈকে চাহ মজদুৰৰ দুৰ্ভাগ্য-জনিত জীৱনৰ বিষয়ে এবাৰো চিন্তা কৰি চোৱা দূৰৰ কথা এই কথাও কোনো দিনেই [illegible] নাছিল যে অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় এক তৃতীয়াংশেই চাহ মজদুৰ সম্প্ৰদায়ৰ লোক। এনে এক বিৰা[illegible] জনগোষ্ঠীৰ অস্তিত্ব সম্পৰ্কে অৱহিত নোহোৱাটো নিশ্চয় আমাৰ সামাজিক চেতনাৰ প্ৰশংসনীয় প[illegible] নহয় অথবা এনে নিৰ্বিকাৰ আত্ম-সন্তুষ্ট মনোবৃত্তিৰে আমি কেতিয়াও নতুন অসম গঢ়িব নোৱাৰোঁ।

আগন্তুক বছৰবোৰত আমি সামাজিক অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে আমাৰ প্ৰতিবাদ আৰু বেছি শক্তিশালী আৰু দৃঢ় কৰিবলৈ চেষ্টা কৰিম। কিন্তু আমি ভাবোঁ যে কেৱল ভেটীখোৱা, খাদ্যত ভেজাল দিয়া বা স্বজন-তোষণেই একমাত্ৰ অন্যায় বা দুৰ্নীতি নহয়। এনেকুৱা দুৰ্নীতিত সমাজৰ অতি কম সংখ্যক মানুহহে লিপ্ত। আটাইতকৈ ডাঙৰ দুৰ্নীতি বা পাপ হ'ল অন্যায়ৰ প্ৰতিবাদ নকৰি নিৰ্বিকাৰ হৈ থকা, নিজৰ মনটোক এটা নিষ্ক্ৰীয় জড় পদাৰ্থত পৰিণত হ'বলৈ দিয়া, সহানুভূতিৰ ক্ষেত্ৰ প্ৰসাৰিত নকৰা, জীৱনৰ সৌন্দৰ্য্যৰ প্ৰতি আগ্ৰহ অনুভৱ নকৰা আৰু মনুষ্যত্বৰ বিকাশৰ কাৰণে অবিৰামভাৱে চেষ্টা নকৰা। এই গোটেইবোৰ কাম কৰিবৰ কাৰণে এটা সক্ৰিয় আৰু চিৰ-গতিশীল মনত দৰ্কাৰ। আমি অনুভৱ কৰিছোঁ যে অসমীয়া সমাজত যদি আজি কিবা এটা বস্তুৰ আটাইতকৈ ডাঙৰ অভাৱ ঘটিছে সি হৈছে এই মানসিক সক্ৰিয়তা আৰু গতিশীলতাৰ। নান ধৰণৰ ন ন জিজ্ঞাসা, বিতৰ্ক আৰু আলোচনাৰ দ্বাৰা অসমীয়া মানুহ[illegible] মনৰ জড়তা ভাঙি চিন্তাৰ অভিযানত বাহিৰ হ'বলৈ তেওঁলোকক সঁকীয়াই থকাটো সাপ্তাহিক নীলাচলৰ এটা ঘাই উদ্দেশ্য। অৱশ্যে এই ক্ষেত্ৰত অগ্ৰণী আৰু দিকদৰ্শকৰ ভূমিকা লোৱাৰ অহমিকা আৰু স্পৰ্দ্ধা আমাৰ হাতত নাই। আমি কেৱল সাপ্তাহিক নীলাচলৰ ক্ষেত্ৰখন তেওঁলোকলৈ সবিনয়ে আগবঢ়াইছোঁ।

যোৱা দুবছৰৰ ভিতৰত যিখিনি কাম কৰিম বুলিও আমি কৰিব পৰা নাই, সেই বিষয়ে আমি সম্পূৰ্ণ সচেতন; ভৱিষ্যতলৈ যিখিনি কৰিব খুজিছোঁ, তাৰ কাৰণে সদৌ ৰাইজৰ সহযোগিতা আৰু শুভ-ইচ্ছা কামনা কৰিছোঁ।

অসমৰ আগন্তুক মন্ত্ৰীসভা

যোৱা ২৩ চেপ্টেম্বৰৰ সাপ্তাহিক নীলাচলত আমি এটা সম্পাদকীয় প্ৰবন্ধ লিখি এই পৰামৰ্শ আগবঢ়াইছিলোঁ যে বহুদিন ধৰি অসুস্থ হৈ থকা মুখ্য-মন্ত্ৰী শ্ৰীচলিহাই একাধিক কাৰণত অতি সোনকালে পদ-ত্যাগ কৰা উচিত। সেই প্ৰবন্ধ লিখাৰ পোন্ধৰ দিনৰ ভিতৰতে পদ-ত্যাগ কৰি শ্ৰীচলিহাই যুক্তিৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা থকা বুলি প্ৰমাণ কৰিলে। অসম তথা সদৌ ভাৰতবৰ্ষতে ৰাজনৈতিক আচৰণৰ মান এতিয়াও বৰ তল খাপতে আছে। যুক্তিবাদিতাৰ প্ৰতি আগ্ৰহ, জনমতৰ প্ৰতি শ্ৰদ্ধা, নিজৰ স্বাৰ্থতকৈ ৰাজহুৱা স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ সততা— এনেবোৰ গণতান্ত্ৰিক গুণ শতকৰা নিৰান্নৱৈজন নেতাৰ গাতেই পাবলৈ নাই। ৰাজনৈতিক আচৰণৰ মান উন্নত কৰাত বাতৰি কাকতেও বহুখিনি বৰঙণি যোগাব পাৰে বুলি আমি বিশ্বাস কৰোঁ।

আজিৰপৰা কেইমাহমানৰ আগতে শ্ৰীচলিহাই পদ-ত্যাগ কৰাটো যেতিয়া প্ৰায় নিশ্চিত হৈ উঠিছিল, তেতিয়া সেই পদৰ কাৰণে দুজন প্ৰাৰ্থী আছিল : শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আৰু শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী। কংগ্ৰেছৰ বিভাজন হোৱাৰ লগে লগেই অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীভাগৱতীয়ে এক মুহূৰ্তও সময় অপেক্ষা নকৰি নতুন কংগ্ৰেছৰ প্ৰতি নিজৰ ব্যক্তিগত আনুগত্য ঘোষণা কৰিছিল, আৰু পাচত প্ৰদেশ কংগ্ৰেছকে নতুন কংগ্ৰেছৰ ফলীয়া কৰিবলৈ সমৰ্থ হৈছিল। ঘাইকৈ তেওঁৰ প্ৰভাৱতেই যে প্ৰদেশ কংগ্ৰেছে প্ৰায় ঐক্যবদ্ধভাৱে নতুন কংগ্ৰেছত যোগ দিছিল— সেই বিষয়ে কোনো সন্দেহ নাই। আনহাতে শ্ৰীচৌধুৰীয়ে সেই সময়ত দলীয় ঐক্যৰ নামত যথেষ্ট দ্বিধাগ্ৰস্ত মনোভাৱৰ পৰিচয় দিছিল। এনে অৱস্থাত স্বাভাৱিকতেই প্ৰধানমন্ত্ৰী প্ৰমুখ্যে কংগ্ৰেছৰ উৰ্দ্ধতন কৰ্তৃপক্ষৰ পূৰ্ণ সমৰ্থন আছিল শ্ৰীভাগৱতীৰ প্ৰতি। কিন্তু শ্ৰীভাগৱতীয়ে হাই কমাণ্ডৰ সমৰ্থন লাভ কৰিলেও কাৰ্য্য-ক্ষেত্ৰত যিসকলৰ ভোটৰ জোৰত অসমৰ মুখ্যমন্ত্ৰী হ'ব পাৰি— সেই কংগ্ৰেছী এম-এল-এ সকলৰ বেছি ভাগৰে সমৰ্থন লাভ কৰিব নোৱাৰিলে। তাৰ কাৰণো নোহোৱা নহয়। অসমৰ বেছিভাগ কংগ্ৰেছ-পন্থী লোকেই আগৰেপৰাই আপেক্ষিকভাৱে ৰক্ষণশীল। কংগ্ৰেছৰ ইতিহাসত বহু বছৰৰ আগৰপৰাই পণ্ডিত নেহৰু আৰু চৰ্দাৰ পেটেলে যথাক্ৰমে প্ৰগতিশীল আৰু ৰক্ষণশীল ভাৱধাৰাৰ নেতৃত্ব কৰিছিল আৰু ভাৰতৰ বিভিন্ন অঞ্চলে নিজৰ নিজৰ মৰ্জি আৰু ঐতিহ্য অনুসাৰে এই দুই ভাৱধাৰাৰ যিকোনো এটাৰ অনুসৰণ কৰিছিল। কংগ্ৰেছৰ আভ্যন্তৰীণ ক্ষমতাৰ যুদ্ধত অসমৰ কংগ্ৰেছ নেতৃ-বৃন্দই ঘাইকৈ চৰ্দাৰ পেটেলৰ নেতৃত্বহে অনুসৰণ কৰি চলিছিল। সেই পৰম্পৰাৰ এতিয়াও অন্ত পৰা নাই। কৌশলগত কাৰণত অসমৰ কংগ্ৰেছী এম-এল-এ সকল যদিও সম্প্ৰতি শাসক কংগ্ৰেছতেই আছে, তথাপি সন্দেহ হয় যে তেওঁলোকৰ বহুতৰেই মনটো চিণ্ডিকেট কংগ্ৰেছৰ প্ৰতিহে বেছিকৈ ঢাল খোৱা।

সি যি কি নহওক, যোৱাবাৰ শ্ৰীভাগৱতী আৰু শ্ৰীচৌধুৰীৰ মাজত হ'বলগা প্ৰতিদ্বন্দ্বিতাৰ যুদ্ধখন শেষ পৰ্য্যন্ত নহ'লগৈ—কাৰণ কংগ্ৰেছ হাই কমাণ্ডে যেতিয়াই আবিষ্কাৰ কৰিলে যে শ্ৰীচৌধুৰীৰ লগত যুঁজ কৰি শ্ৰীভাগৱতীয়ে জয় লাভ কৰাৰ কোনো আশা নাই, তেতিয়াই তেওঁলোকে সম্পূৰ্ণ অসুস্থ আৰু অক্ষম অৱস্থাতো শ্ৰীচলিহাকেই মুখ্য-মন্ত্ৰী হিচাবে ৰাখিবলৈ ঠিক কৰিলে। কংগ্ৰেছ হাইকমাণ্ডৰ একমাত্ৰ উদ্দেশ্য আছিল শ্ৰীচৌধুৰীক অসমৰ মুখ্যমন্ত্ৰী হোৱাৰপৰা বাধা দিয়া, কাৰণ সেই সময়ত ৰাজ্যৰ পাচত ৰাজ্য জুৰি

নিজৰ নিজৰ প্ৰভাৱ বিস্তাৰৰ কাৰণে দুই কংগ্ৰেছৰ মাজত যি যুদ্ধ চলিছিল, সেই যুদ্ধত শ্ৰীচৌধুৰীৰ প্ৰকৃত আনুগত্য কোন ফালে আছে সেই বিষয়ে শাসক কংগ্ৰেছৰ নেতৃ-বৰ্গ সম্পূৰ্ণ নিঃসন্দেহ হোৱা নাছিল।

তাৰ পাচত যোৱা কেইবামাহ ধৰি বহু ঘটনাই ঘটিল। শ্ৰীচলিহাৰ অসুস্থতাৰ কাৰণে শ্ৰীচৌধুৰীয়েই প্ৰশাসনৰ নেতৃত্ব ল'ব লগা হ'ল, অৰ্থাৎ নামত নহ'লেও কামত তেৱেঁই মুখ্যমন্ত্ৰী হৈ পৰিল। ফলত তেওঁৰ ৰাজনৈতিক ক্ষমতাৰ ভেঁটি আগতকৈ দৃঢ় হ'ল, তেওঁৰ প্ৰতি থকা সমৰ্থন আগতকৈ বাঢ়িল। আনহাতে চিণ্ডিকেট্ আৰু ইণ্ডিকেট্ কংগ্ৰেছৰ মাজত হোৱা যুদ্ধৰ ফলাফলো মানুহৰ চকুত পৰিবলৈ আৰম্ভ কৰিলে; পাৰ্লিয়ামেণ্টৰ বাজেট অধিবেশনপৰা আৰম্ভ কৰি সৌ-সিদিনা মাত্ৰ সমাপ্ত হোৱা কেৰালাৰ অন্তৰ্বৰ্তী নিৰ্বাচনলৈকে প্ৰত্যেকখন যুদ্ধতে চিণ্ডিকেট্ কংগ্ৰেছে হাৰ মানি ছত্ৰ-ভঙ্গ দিবলৈ বাধ্য হ'ল। শ্ৰীমতী গান্ধীৰ ব্যক্তিগত জনপ্ৰিয়তা আৰু সম্মোহিনী শক্তিয়েও সম্প্ৰতি এনে এটা উচ্চসীমা পাইছেগৈ যে সি তেওঁৰ পিতৃ জৱাহৰলাল নেহৰুৰ জনপ্ৰিয়তাকো ম্লান কৰি দিছে। মাত্ৰ সিদিনা হৈ যোৱা পাটনা কংগ্ৰেছেই তাৰ প্ৰমাণ। যিফালে জয় আৰু লাভৰ আশা, সেই ফালে থকাটোৱেই সৰ্ব-সাধাৰণ মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। এতিয়া যিহেতু চাৰিওফালে ইন্দিৰা কংগ্ৰেছৰেই জয়-জয়কাৰ, গতিকে অসমৰ যিসকল কংগ্ৰেছী লোকে আগতে ইতস্ততঃ কৰি আছিল, তেওঁলোকেও এতিয়া উচ্চস্বৰে ইন্দিৰা কংগ্ৰেছৰ প্ৰতি নিজৰ আনুগত্য ঘোষণা কৰিছে।

এনে এটা পৰিস্থিতিতে শ্ৰীচলিহাই চূড়ান্তভাৱে পদ-ত্যাগ কৰিছে। যোৱাবাৰ শ্ৰীচৌধুৰীৰ প্ৰতি অসমৰ বেছিভাগ কংগ্ৰেছী সদস্যৰ সমৰ্থন আছিল, কিন্তু কংগ্ৰেছ হাই কমাণ্ডে তেওঁৰ বিৰোধিতা কৰিছিল। এইবাৰ তেওঁৰ স্থানীয় সমৰ্থন আগতকৈ বৃদ্ধি পাইছে, আনহাতে কংগ্ৰেছ হাই কমাণ্ডে তেওঁক উচ্ছ্বসিতভাৱে সমৰ্থন নজনালেও বিৰোধিতাও কৰা নাই। গতিকে এইবাৰ তেওঁৰ জয়-লাভ সম্পূৰ্ণ সুনিশ্চিত। ফলত শ্ৰীভাগ[illegible] এইবাৰ প্ৰতিদ্বন্দ্বিতা নকৰিবলৈ ঠিক কৰিছে। অনেক সময়ত পৰাজয় অৱশ্যম্ভাৱী বুলি জানিও [illegible] কাৰণেই প্ৰতীকী প্ৰতিদ্বন্দ্বিতা কৰাৰ প্ৰয়োজন হৈ পৰে; কিন্তু শ্ৰীচৌধুৰীয়ে এইবাৰ একেটা আদৰ্শৰ প্ৰতি সম্পূৰ্ণ আনুগত্য ঘোষণা কৰি তাৰো বাট মাৰি থৈছে। গতিকে শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হোৱাটো খাটাং।

যোৱাবাৰ শ্ৰীচৌধুৰী আৰু শ্ৰীভাগৱতীৰ মাজত যেতিয়া প্ৰতিদ্বন্দ্বিতাৰ সম্ভাৱনাই দেখা দিছিল, তেতিয়া আমি শ্ৰীভাগৱতীৰ সপক্ষে মাত মাতিছিলোঁ। আমাৰ এই মনোভাৱ আছিল সম্পূৰ্ণ ৰূপে আদৰ্শ-মত। আমি বিশ্বাস কৰিছিলোঁ আৰু এতিয়াও কৰোঁ যে কংগ্ৰেছ দল বিভক্ত হোৱাৰ পাচত শ্ৰীমতী ইন্দিৰা গান্ধীৰ অনুগামী দলটোৱে অপেক্ষাকৃতভাৱে অধিক প্ৰগতিশীল আদৰ্শ আৰু কাৰ্য্যসূচীৰ প্ৰতিনিধিত্ব কৰিছে; অসমত এই দলটোৰ নেতৃত্ব কৰা শ্ৰীভাগৱতীক মুখ্যমন্ত্ৰী পদৰ কাৰণে সমৰ্থন কৰাটো আমি এটা নৈতিক কৰ্তব্য বুলি বিবেচনা কৰিছিলোঁ। এইবাৰ অৱশ্যে এনে সমৰ্থন বা বিৰোধিতাৰ কোনো প্ৰশ্নই নুঠে, কাৰণ শ্ৰীচৌধুৰীৰ কোনো প্ৰতিদ্বন্দ্বী নাই। দ্বিতীয়তে, শ্ৰীচৌধুৰীয়েও দুই কংগ্ৰেছৰ মাজত তুলনামূলকভাৱে অধিক প্ৰগতিশীল দলটোৰ প্ৰতি নিজৰ পূৰ্ণ আনুগত্য ঘোষণা কৰি তেওঁৰ সম্বন্ধে আমাৰ আপত্তিৰ মূল কাৰণটো নোহোৱা কৰিছে।

অসমৰ নতুন মুখ্যমন্ত্ৰী কোন হ'ব সেইটোৱেই এতিয়া একমাত্ৰ প্ৰশ্ন নহয়। অসমৰ নতুন মন্ত্ৰীসভাৰ গাঁথনি কেনেধৰণৰ হ'ব সেইটোও এটা সমানেই গুৰুত্বপূৰ্ণ প্ৰশ্ন। এই বিষয়ত আমি নিজে দকৈ ভাবি-চিন্তি আৰু লগতে যথাসম্ভৱ ব্যাপক ভিত্তিত জনমতৰো ভু-ভা লৈ কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছোঁ।

নতুন মুখ্যমন্ত্ৰী হোৱাৰ পাচত বৰ্তমানৰ মন্ত্ৰী-সভাখনৰো যে কিছু সাল-সলনি হ'ব লাগিব সেই বিষয়ে কোনো সন্দেহ নাই। প্ৰসঙ্গক্ৰমে এইখিনিতে কৈ থোৱা ভাল যে ১৯৫৭ চনত শ্ৰীচলিহাই প্ৰথম মুখ্যমন্ত্ৰী হৈ যিখন মন্ত্ৰী-সভা গঠন কৰিছিল, সেইখনেই আছিল স্বাধীন অসমৰ সৰ্বশ্ৰেষ্ঠ মন্ত্ৰী-সভা; সেইখন মন্ত্ৰী-সভাই অসমৰ ৰাজনীতি-ক্ষেত্ৰৰ বেছিভাগ প্ৰতিভাশালী লোক আৰু বিভিন্ন দৃষ্টিভঙ্গীক একত্ৰিত কৰিব পাৰিছিল। আনহাতে ১৯৬৭ চনত তেওঁ যিখন মন্ত্ৰী-সভা গঠন কৰিলে সেইখনেই যোৱা তেইশ বছৰৰ ভিতৰত আটাইতকৈ নিকৃষ্ট মন্ত্ৰী-সভা। এই মন্ত্ৰী-সভাখনত যে কেৱল অশিক্ষিত, অৰ্দ্ধ-শিক্ষিত আৰু অযোগ্য লোকৰেই সমাবেশ ঘটিছে এনে নহয়; মন্ত্ৰী-সভাৰ কাৰণে মানুহ বাছনি কৰোঁতে মুখ্যমন্ত্ৰীজনেও ৰাইজৰ স্বাৰ্থত উপযুক্ত প্ৰতিভাশালী লোকক মনোনীত কৰাতকৈ ব্যক্তিগত ক্ষমতাৰ স্বাৰ্থ আৰু ৰুচি-অভিৰুচিৰ মাপ-কাঠিৰে জুখি কেইবাজনো অযোগ্য লোকক অনুগৃহীত কৰিলে বুলিহে অনুমান কৰিব পাৰি। মুঠতে যোৱা এযুগ কাল ধৰি অসমৰ কংগ্ৰেছ অনুষ্ঠানত যি নৈতিক অবক্ষয়ৰ সূচনা হৈছিল, ব্যক্তিগত অসূয়া-অপ্ৰীতিৰ ফলত যি অনৈক্যৰ সৃষ্টি হৈছিল, সকলো প্ৰকাৰৰ আদৰ্শবাদৰ যিভাৱে তিলে তিলে মৃত্যু ঘটি আহিছিল— তাৰ সম্পূৰ্ণ অভিব্যক্তি ঘটিছিল বৰ্তমানৰ চলিহা-মন্ত্ৰীসভাৰ গাঁথনিতে।

এতিয়া নতুনকৈ যিজন লোক মুখ্যমন্ত্ৰী হ'ব, তেওঁ এইবোৰ ভুল সংশোধন কৰি অসমৰ ৰাজনীতি আৰু প্ৰশাসন-ব্যৱস্থাত এটা নতুন যুগ সূচনা কৰাৰ অপ্ৰত্যাশিত সুযোগ পাইছে। ক্ষুদ্ৰ স্বাৰ্থ আৰু ক্ষুদ্ৰ কথাৰ বশৱৰ্তী হৈ তেওঁ যদি এই সুযোগ গ্ৰহণ নকৰে, তেন্তে অসমৰ ৰাইজে তাৰ বাবে যথাসময়ত তেওঁৰ বিচাৰ কৰিব। নতুন কংগ্ৰেছৰ নানান প্ৰচাৰ-কাৰ্য্যৰ ঢাক-ঢোলে দেশ তল-ওপৰ লগাইছে যদিও অসমত আমি আজিলৈকে কোনো ক্ষেত্ৰতে বিন্দুমাত্ৰ পৰিবৰ্তনৰ মুখ দেখা নাই। অহা সাধাৰণ নিৰ্বাচনলৈ আৰু মাত্ৰ ডেৰবছৰ সময় আছে। এই কম সময়ৰ ভিতৰতে যদি নতুন কংগ্ৰেছে নতুন চিন্তা আৰু কাৰ্য্যসূচীৰ সূচনা কৰি জনসাধাৰণৰ সশ্ৰদ্ধ মনোযোগ আকৰ্ষণ কৰিব খোজে, তেতিয়া হ'লেও বৰ্তমানৰ মন্ত্ৰীসভাখনৰ পৰা গছৰ মূঢ়াৰ নিচিনা অকামিলা লোক কেইজনক বিদায় দি প্ৰকৃত যোগ্যতাসম্পন্ন আৰু প্ৰতিভাশালী লোকেৰে মন্ত্ৰীসভাখন শক্তিশালী কৰি গঠন কৰিব লাগিব। তাকে কৰিবলৈ হ'লে নতুন মুখ্যমন্ত্ৰীজন সকলো প্ৰকাৰৰ ক্ষুদ্ৰ স্বাৰ্থ, ঠেক আনুগত্য আৰু হৃদয়-দৌৰ্বল্যৰ ওপৰলৈ উঠিব লাগিব। ১৯০৮ চনত হাৰ্বাট হেন্ৰী এস্কুইথে বিলাতৰ প্ৰধানমন্ত্ৰী হৈ স্মৰণ কৰিছিল গ্লেড্‌ষ্টোনৰ এষাৰ মহা-মূল্যবান উপদেশ – 'The first essential for a Prime Minister is to be a good butcher, and there are several who must be pole-axed now'— অৰ্থাৎ 'এজন ভাল কচাই হ'ব পৰাটোৱেই হ'ল প্ৰধানমন্ত্ৰী এজনৰ পক্ষে অত্যাৱশ্যকীয় গুণ, আৰু এতিয়া এনে কেইবাজনো লোক আছে যি কেইজনক কুঠাৰেৰে ঘৈয়াই শেষ কৰিব লাগিব।' কথা মতেই কাম। চাৰ্চিলে লিখিছে—'Loyal as he (Asquith) was to his collegues, he never shrank, when the time came and public need required it, from putting them aside– once and for all. Personal friendship might survive if it would. Political association was finished. But how else can states be governed?' — অৰ্থাৎ 'এস্কুইথ্ যদিও নিজৰ সহকৰ্মীসকলৰ প্ৰতি বিশ্বস্ত বা অনুগত আছিল, তথাপি যেতিয়া সময় আহিছিল আৰু ৰাজহুৱা স্বাৰ্থই দাবী কৰিছিল, তেতিয়া তেওঁ চিৰকালৰ কাৰণে তেওঁলোকক একাষৰীয়াকৈ থ'বলৈ কুণ্ঠাবোধ কৰা নাছিল। ব্যক্তিগত বন্ধুত্ব থাকে যদি থাকিব, কিন্তু ৰাজনৈতিক সম্পৰ্কৰ সিমানতেই অন্ত পৰিছিল। ইয়াৰ বাহিৰেনো ৰাজ্য চলোৱাৰ আন কি উপায় আছে?'

আমি বিলাতবপৰা সংসদী গণতন্ত্ৰৰ জঁকাটো নকল কৰিছোঁ, কিন্তু তাৰ প্ৰাণ-বস্তুটো আয়ত্ত কৰিবলৈ চেষ্টা কৰা নাই। অসমৰ নতুন মুখ্যমন্ত্ৰীক আহ্বান জনাই আমি ক'ব খোজোঁ যে এতিয়া সময় আহিছে আৰু ৰাজহুৱা স্বাৰ্থই দাবী কৰিছে,—তেওঁ যেন গণতন্ত্ৰৰ মহত্তম আদৰ্শৰে অনুপ্ৰাণিত হৈ নতুন মন্ত্ৰীসভাৰ 'পচা-কাঠবোৰ' কাটি দূৰ কৰি তাত নতুন শক্তিশালী কাঠ লগাবলৈ চেষ্টা কৰে। অৱশ্যে এই বিষয়ে পথৰ সন্ধান বিচাৰি আমি সাত-সাগৰ তেৰ নদীৰ সিপাৰলৈ যাব নালাগে। অসমীয়া ৰাইজৰ দ্বাৰা 'অগাধ শাস্ত্ৰ' বুলি পূজিত অসমৰ প্ৰাচীন বুৰঞ্জীয়েও আমাক এই ক্ষেত্ৰত বাট দেখুৱায়। স্বৰ্গদেউ চুত্যিংফা টান নৰিয়াত পৰাত ৰাজ্য চলাব নোৱাৰা অৱস্থা হ'ল, আৰু তেওঁৰ জীৱন কালতে পুতেক খহুৱা গোহাঁয়ে জয়ধ্বজ সিংহ নাম লৈ সিংহাসনত উঠিল। নৰিয়া ৰজাই তেতিয়া পুতেকক উপদেশ দি কৈছিল— "পুৰণিবোৰ খুঁটা সলাই নবীন খুঁটা লগালেহে দিনচেৰেক ৰাজা হৈ ৰাজ্য খাব পাৰিব। আৰু ৰাজ্যক প্ৰতিপাল কৰিব। দুষ্টলোকৰ কথা নল'ব, ল'ৰা মানুহক বিষয়া নাপাতিব, গুণত পূজা দোষত দণ্ড কৰিব।"

আচৰিতভাৱে প্ৰায় একে এটা পৰিস্থিতিতে অসমৰ মুখ্যমন্ত্ৰীৰ সলনি হৈছে। আমি আশা কৰিছোঁ যে নতুন মুখ্যমন্ত্ৰীয়ে অসম-বুৰঞ্জীৰ এই সোণ-সেৰীয়া উপদেশ-বাক্য মনত ৰাখি যিমানদূৰ সম্ভৱ 'পুৰণি খুঁটা সলাই নবীন খুঁটা লগাব' আৰু 'দুষ্ট লোকৰ কথা নলৈ' কেৱল ৰাইজৰ মঙ্গল-চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হৈ বহুকালৰ মৃতত অসমক এখন শক্তিশালী আৰু আদৰ্শ-নিষ্ঠ মন্ত্ৰীসভা দিবলৈ চেষ্টা কৰিব।

দুখীয়াৰ খবৰ কোনে ৰাখে

মোটা চাউলৰ এমুঠি ভাত (অথবা আটাৰ কেইখনমান শুকান ৰুটী) আৰু অকণমান ডাইলৰ পানী- এয়েই হ'ল ভাৰতবৰ্ষৰ দুখীয় মানুহৰ একমাত্ৰ আহাৰ। কেতিয়াবা আলু-পিঁয়াজ অলপ যদি যোগাৰ কৰিব পৰা যায়, সেইদিনাৰ আহাৰ উৎসবৰ ভোজতেই পৰিণত হয়। অৰ্থাৎ ভাত, ৰুটী, দাইল, আলু-পিঁয়াজ— এইকেইবিধ বস্তুৱেই হ'ল ভাৰতবৰ্ষৰ দৰিদ্ৰতম মানুহৰ আহাৰ। কিন্তু আজি যি মুহূৰ্তত চৰকাৰৰ পৰা আৰম্ভ কৰি বেছিভাগ ৰাজনৈতিক দলেই দেশত সমাজবাদ স্থাপন কৰিবলৈ উঠিপৰি লাগিছে, সেই মুহূৰ্তত দুখীয়াৰ নিকৃষ্টতম আহাৰ পৰিণত হৈছে ধনীৰ ব্যয়সাধ্য বিলাসিতাত। অৰ্থাৎ এসময়ত কেৱল দুখীয়াৰ আহাৰ বুলি গণ্য হোৱা বস্তুখিনিও আজি ধনীৰ বাহিৰে আন কেনেও কিনিব নোৱাৰে। দুখীয় মানুহবোৰে কি খাই জীয়াই আছে, সেই খবৰ কোনোবাই ৰাখিছেনে?

মাত্ৰ যোৱা ছমাহৰ ভিতৰত গুৱাহাটীৰ বজাৰত বস্তুৰ দাম কেনেকৈ বাঢ়িছে, তাৰ এটা হিচাব তলত দিয়া হ'ল। চাউল— ১.৩৫-১.৫০ টকা, মিহি চাউল— ১.৪০-১.৬০ টকা, আটা- ১.১০-১.৩০ টকা, মচুৰ দালি— ১.৩০-১.৭৫ টকা, ৰহৰ— ১.৪০-২.০০ টকা, মুগ- ১.৫০-২.১০ টকা, আলুগুটি— ১.০০-১.৫০ টকা, পিঁয়াজ— ০০.৮০-১.৫০ টকা, মিঠা তেল— ৩.৮০-৫.০০ টকা, ডালডা— ৫.৫০-৭.৫০ টকা, চাহ— ৫.০০-৮.০০ টকা। এই তালিকাত মাছ, মাংস, কণী আৰু শাক-পাচলিৰ উল্লেখ কৰাটো এটা নিৰ্মম ঠাট্টাহে হ'ব, কাৰণ চহৰ অঞ্চলৰ বেছিভাগ দুখীয়া আৰু নিম্ন মধ্যবিত্ত মানুহৰ কাৰণে আজিৰ দিনত এইবোৰ বস্তু কল্পনাতীত বিলাসিতা মাত্ৰ। এতিয়া প্ৰশ্ন হৈছে মাত্ৰ ছমাহৰ ভিতৰতে লুইতৰ বলীয়া বানতকৈও বেছি কোবাল গতিৰে বেছিভাগ বস্তুৰ দাম কিয় বৃদ্ধি পালে? উৎপাদন হ্ৰাস হোৱাৰ কাৰণেই বস্তুৰ দাম বাঢ়িছে বুলি ক'বলৈ নিশ্চয় কাৰো সাধ্য নাই, কাৰণ ওপৰৰ তালিকাত উল্লেখ কৰা আটাইকেইবিধ বস্তুৱে কৃষিজাত বস্তু আৰু সকলোৱে এই কথা জানে যে দেশত বৰ্তমান এটা কৃষি-বিপ্লব চলি আছে, অৰ্থাৎ কৃষিজাত বস্তুবোৰ উত্তৰোত্তৰ উৎপন্ন হৈছে। কোনো কোনো মহলৰ পৰা কণা-কণিকৈ এটা কথা প্ৰচাৰ কৰা হৈছে যে পৰিবহনৰ অসুবিধাত অসমলৈ যথেষ্ট পৰিমাণৰ বস্তু আনিব নোৱাৰাৰ কাৰণে বস্তুৰ দাম বৃদ্ধি পাইছে। আজি স্বাধীনতাৰ তেইশ বছৰৰ পিছতো পৰিবহন ব্যৱস্থাৰ অসুবিধাৰ কাৰণেই যদি অসমৰ বাহিৰে বয়-বস্তুৰ দামৰ বলে নোৱাৰা বোজা বহন কৰি আধা মৰা হ'ব লগা হয়, তেন্তে অসম ভাৰতবৰ্ষৰ অংশ হৈ থকাৰ কিবা সাৰ্থকতা আছেনে? তৃতীয়তে যোৱা ছমাহত নিত্য ব্যৱহাৰ্য্য বস্তুবোৰৰ দাম শতকৰা ৫০/৬০ ভাগকৈ যিভাৱে বৃদ্ধি পাইছে, সেই একে নিৰিখতে মানুহৰ উপাৰ্জনো বৃদ্ধি পাইছেনে? যদি নাই পোৱা, তেন্তে সীমাবদ্ধ আৰু নিম্নতম উপাৰ্জনৰ মানুহবোৰে কি খাই জীয়াই আছে?

এই প্ৰশ্নবোৰৰ বিষয়ে চিন্তা কৰিবলৈ চৰকাৰৰ সময় নাই, কাৰণ চৰকাৰে দেশত সমাজবাদ স্থাপন কৰাত ব্যস্ত। এইবোৰ বিষয়ে চিন্তা কৰিবলৈ ৰাজনৈতিক দলবোৰৰো সময় নাই, কাৰণ অহা সাধাৰণ নিৰ্বাচনলৈ এতিয়াও প্ৰায় ডেৰ বছৰ সময় আছে। গ্ৰাহকে নিজেও সংগবদ্ধভাৱে এনে অনুচিত আৰু

অনৈতিক মূল্যবৃদ্ধিৰ প্ৰতিৰোধ কৰা উচিত, কিন্তু গ্ৰাহকক সংগঠিত কৰিবলৈ আগভাগ লোৱা মানুহ কোনো নাই। এনে অৱস্থাত স্বাভাৱিকতে শোষক আৰু অতিলোভী খাদ্য ব্যৱসায়ীসকলৰ অবাধ ৰাজত্ব চলাবলৈ সোণালী সুযোগ মিলিছে। তেওঁলোকৰ কৰাল গ্ৰাসৰ পৰা দুখীয়া আৰু অসহায় মানুহবোৰক ৰক্ষা কৰে কোনে? সম্পূৰ্ণ নিৰুপায় হৈ আমি অসমৰ একমাত্ৰ সংগঠিত সামাজিক শক্তি ছাত্ৰ সমাজক অনুৰোধ কৰিছোঁ— তেওঁলোকে চৰকাৰ আৰু ব্যৱসায়ীসকলৰ (চেম্বাৰ্চ অব কমাৰ্চ) প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ এই গোটেই বিষয়টো পুংখানুপুংখৰূপে আলোচনা কৰি বস্তুৰ দাম কমাবৰ কাৰণে চেষ্টা কৰক আৰু প্ৰয়োজন হ'লে তাৰ কাৰণে তদাৰক কমিটি গঠন কৰক। নহ'লে ১৯৬৬ চনৰ দৰে ব্যাপক খাদ্য আন্দোলন আৰু অশান্তি হোৱাটো অসম্ভৱ কথা নহয়।

সাপ্তাহিক নীলাচল, ১০৬ সংখ্যা : ৪ নবেম্বৰ, ১৯৭০

ব্যক্তি আৰু ঘটনা

মহেন্দ্ৰ মোহন চৌধুৰী

প্ৰবীণ দেশনেতা আৰু মুক্তি-সংগ্ৰামী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে স্বাধীন অসমৰ চতুৰ্থজন মুখ্যমন্ত্ৰী হোৱাৰ সৌভাগ্য অৰ্জন কৰিছে। ১৯০৯ চনত বৰপেটাৰ নগাঁৱত এটি কৃষক পৰিয়ালত তেওঁৰ জন্ম হয়। তেওঁৰ দেউতাক এজন মৌজাদাৰ আছিল। ১৯৩১ চনত অসম প্ৰদেশ ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈ চৌধুৰীয়ে তেওঁৰ ৰাজহুৱা জীৱন আৰম্ভ কৰে। এই ছাত্ৰ সন্মিলনেই অসমৰ যুৱকসকলক কংগ্ৰেছৰ স্বাধীনতা আন্দোলনত যোগ দিবলৈ অনুপ্ৰেৰণা যোগাইছিল। এই ক্ষেত্ৰত চৌধুৰীৰ বৰঙণিও কম নাছিল। অতি কম বয়সৰপৰাই দেশাত্ম-বোধৰ দ্বাৰা উদ্বুদ্ধ হোৱা চৌধুৰীয়ে নিজেও ভাৰতৰ মুক্তি সংগ্ৰামত যোগ দি ১৯৩২, ১৯৪১ আৰু ১৯৪২ চনত কাৰাবৰণ কৰে।

১৯৪৬ চনত চৌধুৰীৰ সংসদী কৰ্ম-জীৱন আৰম্ভ হয়। সেই বছৰতে তেওঁ বৰপেটা (দক্ষিণ) সাধাৰণ সমষ্টিৰপৰা বিনা-প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভালৈ নিৰ্বাচিত হয় আৰু ১৯৪৭ চনত সংসদী সচিব নিযুক্ত হয়। তাৰ কিছুদিনৰ ভিতৰতে তেওঁ যথাক্ৰমে উপ-মন্ত্ৰী আৰু মন্ত্ৰীৰ পদত নিযুক্ত হয়, কিন্তু ১৯৫৫ চনত তেওঁ স্বেচ্ছাই মন্ত্ৰীৰ পদ ইস্তফা দি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। অসমৰ কংগ্ৰেছী ৰাজনীতিত স্বেচ্ছাই মন্ত্ৰীৰ পদ এৰি সাংগঠনিক কামত আত্ম-নিয়োগ কৰাৰ এইটোৱেই বোধহয় একমাত্ৰ উদাহৰণ।

১৯৫৬-৫৭ চনত চৌধুৰী কিছুদিনৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ অন্যতম সাধাৰণ সম্পাদ আছিল। উল্লেখযোগ্য যে কংগ্ৰেছৰ এনে উচ্চ কৰ্ম-সচিবৰ পদত নিযুক্ত হোৱা তেৱেঁই একমাত্ৰ অসমীয়া। ১৯৫৮ চনৰ উপ-নিৰ্বাচন এটাত বিজয়ী হৈ চৌধুৰীয়ে পুনৰ অসম বিধান সভাত প্ৰবেশ কৰে আৰু অধ্যক্ষ নিৰ্বাচিত হয়। ১৯৬৭ চনত তেওঁ চলিহা মন্ত্ৰীসভাত ৰাজহ, বান-নিয়ন্ত্ৰণ আৰু সংসদী পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী নিযুক্ত হয়।

আন বহুতো ৰাজনৈতিক নেতা বা মন্ত্ৰীৰ দৰে চৌধুৰীৰ কৰ্মক্ষেত্ৰৰ পৰিধি কিন্তু ইমানতেই সীমাবদ্ধ নহয়। ডেকা কালত তেওঁ ৰাজনৈতিক কামৰ লগে লগে সাহিত্য চৰ্চাও কৰিছিল আৰু 'আবাহন'ত কেইবাটাও গল্প লিখিছিল। চানেকি হিচাবে তেওঁৰ 'মাতৃমূৰ্তি' নামৰ এটা গল্প ইয়াত পুনৰ্মুদ্ৰিত কৰা হ'ল। চৌধুৰীৰ নিজৰ ৰাজনৈতিক জীৱন আৰু মুক্তি সংগ্ৰামৰ অভিজ্ঞতাই হ'ল এইবোৰ গল্পৰ মূল উপজীব্য। এই গল্পবোৰৰ সাহিত্য-মূল্যৰ উপৰিও ভাৰতৰ স্বাধীনতা-সংগ্ৰামৰ এক প্ৰামাণ্য দলিল হিচাবেও গল্পবোৰৰ এটা সুকীয়া মূল্য আছে।

অসমৰ অন্যান্য সকলো মন্ত্ৰী আৰু ৰাজনৈতিক নেতাতকৈ চৌধুৰীয়ে জাতীয় জীৱনৰ সাংস্কৃতিক দিশটোৰ প্ৰতি বিশেষ অনুৰাগ দেখুৱাই আহিছে। তেওঁ কংগ্ৰেছ সভাপতি হৈ থকা কালতে সেই অনুষ্ঠানৰ তৰফৰপৰা লব্ধ-প্ৰতিষ্ঠ লিখকসকলক সম্বৰ্দ্ধনা জনোৱাৰ ব্যৱস্থা কৰা হৈছিল। 'লাচিত বৰফুকন' নামৰ

কথা-ছবিখন নির্মাণতো তেওঁ সক্রিয় অংশ গ্রহণ কৰিছিল। তেওঁ নিজে মহাপুৰুষ শ্ৰীদামোদৰ দেৱৰ জীৱন-চৰিত এখনো সম্পাদনা কৰি উলিয়াইছে। তদুপৰি তেওঁ গান্ধী স্মাৰক নিধি, শ্ৰীমধুপুৰ সত্ৰ, তেতেলীয়া গান্ধী আশ্ৰম, অসম সাহিত্য সভাৰ বৰপেটা অধিবেশন আদি অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। চৌধুৰীৰ মুখ্যমন্ত্ৰিত্বৰ কালছোৱাত অসমৰ মুমূৰ্ষু সাংস্কৃতিক জীৱনত প্ৰাণ সঞ্চাৰ কৰিবলৈ প্ৰয়োজনীয় চৰকাৰী পৃষ্ঠপোষকতাখিনি পোৱা হ'ব বুলি বাইজে আশা কৰে।

প্ৰকৃত ডাঙৰ মানুহ কোন— এই প্ৰশ্নৰ উত্তৰ দি চাৰ্চিলে লেখিছিল যে ডাঙৰ মানুহৰ প্ৰধান লক্ষণ হ'ল দুটা ঃ হয় তেওঁ প্ৰথম সাক্ষাততেই মানুহৰ মনত গভীৰ ৰেখাপাত কৰিব পাৰিব লাগিব, অথবা তেওঁ কৰা কামবোৰে সমাজৰ জীৱনত সুদূৰ-প্ৰসাৰী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰিব লাগিব। অৱশ্যে স্বীকাৰ কৰা দৰকাৰ যে সকলো ডাঙৰ মানুহেই সমানে ডাঙৰ মানুহ নহয়। ওপৰত উল্লেখ কৰা প্ৰথমটো মাপ-কাঠিৰে চৌধুৰীক ডাঙৰ মানুহ বুলি ক'ব নোৱাৰি। তেওঁৰ ব্যক্তিগত পৰিশীলিত ৰুচি বা বৈদগ্ধ্যতকৈ কৃষক-সমাজৰ ৰুচি, পৰম্পৰা আৰু জীৱন-ধাৰাৰ মাজত ডাঙৰ হোৱা এজন মানুহৰ সাৰল্য আৰু বলিষ্ঠতাখিনিহে বেছিকৈ চকুত পৰে। দ্বিতীয়তো মাপ-কাঠি, অৰ্থাৎ সমাজৰ জীৱনত সুদূৰ-প্ৰসাৰী প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পৰা কাম তেওঁ কৰিবনে নকৰে সেইটো তেওঁৰ ওপৰতহে নিৰ্ভৰ কৰে, কাৰণ তেনে কাম কৰিবলৈ নিজে বাছি লোৱা কৰ্ম-ক্ষেত্ৰত পূৰ্ণতৰ সুযোগ তেওঁ এতিয়াহে লাভ কৰিছে।

অসমৰ নতুন মন্ত্ৰীসভা

অসমৰ নতুন মন্ত্ৰীসভাখন একাধিক কাৰণত হতাশজনক। প্ৰথমতে বিভিন্ন সংখ্যালঘু আৰু পিচপৰা সম্প্ৰদায়ৰ জনগোষ্ঠীক প্ৰতিনিধিত্ব দিয়াৰ নামত মন্ত্ৰীসভাখন আগতকৈ বহুত ডাঙৰ কৰা হ'ল। এইখিনি কথা যে অসমৰ বিশেষ পৰিস্থিতিত এনে প্ৰতিনিধিত্বৰ কিছু মনস্তাত্ত্বিক মূল্য আৰু প্ৰয়োজনীয়তা আছে। কিন্তু সেই বুলি কোনোবাই যদি ভাবে যে সংখ্যালঘু আৰু পিচপৰা সম্প্ৰদায়ৰ প্ৰতিনিধিত্বৰ নামত জধেমধে কিছুমান মানুহক মন্ত্ৰী হিচাবে নিয়োগ কৰিলেই এই পিচপৰা মানুহবোৰৰ সকলো সমস্যাৰ সমাধান হৈ যাব, তেন্তে তাতকৈ ডাঙৰ ভুল আন একোৱেই হ'ব নোৱাৰে। অসমৰ বহু সংখ্যালঘু পিচপৰা সম্প্ৰদায়ৰ মানুহ দীৰ্ঘদিনৰ সামাজিক শোষণ আৰু অন্যায়ৰ চেপাত পৰি আজি অতিষ্ঠ হৈ উঠিছে। তেওঁলোকে অসহায়ভাৱে লক্ষ্য কৰিছে যি স্বাধীনতাৰ পিচত সমাজক সাম্য আৰু ন্যায় প্ৰতিষ্ঠা হোৱা দূৰৰ কথা দিনে দিনে শাসন আৰু শোষণৰ সকলো ক্ষমতা কেন্দ্ৰীভূত হৈছে মুষ্টিমেয় উচ্চবৰ্ণৰ হিন্দু, ধনী মাটিগিৰী, চাহ-খেতিয়ক আৰু পুঁজিবাদী স্বাৰ্থৰ বহুতীয়া বা ভাৰাতীয় কেইজনমান লোকৰ হাতত।

স্বাধীনতাই আনি দিয়া অৰ্থনৈতিক আৰু সামাজিক উন্নতিৰ সিংহভাগখিনি এই মানুহবোৰে গ্ৰাস কৰিছে, উচ্ছিষ্টখিনি মাত্ৰ দলিয়াই দিছে অনুন্নত আৰু সংখ্যালঘু সম্প্ৰদায়ৰ মানুহবোৰৰ মুখলৈ। এনে অৱস্থা কিছু দিন চলিবলৈ হ'লে এই শোষিত আৰু বঞ্চিত মানুহবোৰে যে বিদ্ৰোহ কৰি উঠিব সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু কনা হাঁহক পতান ধান দি আভুৱা-ভৰাৰ দৰে অনুন্নত আৰু সংখ্যালঘু সম্প্ৰদায়ৰ মানুহবোৰক গছৰ মূঢ়াৰ নিচিনা দুজনমান মন্ত্ৰী দিলেই এই বিদ্ৰোহৰ জুই আপোনা-আপুনি নুমাই নাযায়। তাৰ সমাধানৰ একমাত্ৰ উপায় হ'ল বৰ্তমানৰ সমাজ-ব্যৱস্থাৰ আমূল পুৰ্ণবিন্যাস। কিন্তু আমাৰ ভাব হয় যে পুঁজিবাদৰ দালাল, উচ্চ-বৰ্ণবাদৰ উৰ্ধ্বত মুখপাত্ৰ অসম বিৰোধী স্বাৰ্থৰ প্ৰতিভূ আৰু তেনে কেতবোৰ প্ৰতিক্ৰিয়াশীল শক্তিৰ ৰাজনৈতিক লোভৰ লগত আপোচ কৰি শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী দূৰৰ কথা— পৃথিৱীৰ কোনো মানুহেই স্থিতাৱস্থাৰ তিলমানো পৰিবৰ্তন কৰিব নোৱাৰে।

প্ৰয়োজনতকৈ ডাঙৰ মন্ত্ৰীসভা এখন গঠন কৰি চৌধুৰীয়ে অসমৰ দুখীয়া ৰাইজৰ ওপৰত খৰচৰ বোজা বঢ়াই দিছে আৰু গণতন্ত্ৰক ব্যয়সাধ্য কৰি তুলিছে। তদুপৰি যি স্থলত চলিহাই আপেক্ষিকভাৱে সৰু মন্ত্ৰীসভা এখন গঠন কৰিয়েই সকলো সম্প্ৰদায়ৰ আস্থা আৰু আনুগত্য অৰ্জন কৰিব পাৰিছিল, তেনেস্থলত চৌধুৰীয়ে ডাঙৰ মন্ত্ৰীসভা এখনৰ অবিহনে তেনে আস্থা লাভ কৰিব নোৱাৰো বুলি প্ৰকাৰন্তৰে নিজৰ দুৰ্বলতাৰ প্ৰকাশ কৰাটো বৰ শুভ লক্ষণ নহয়।

মন্ত্ৰীসভাখনৰ আকাৰ বঢ়ায়ো বিভিন্ন সম্প্ৰদায়ৰ প্ৰতিনিধিক মন্ত্ৰী হিচাবে লোৱাৰ যাই উদ্দেশ্য নিশ্চয় প্ৰশাসনিক দক্ষতা বৃদ্ধি কৰাটো নহয়। কাৰণ মন্ত্ৰীসভাখনত এনে একাধিক সদস্য আছে— যিসকলে প্ৰশাসনিক দক্ষতা বৃদ্ধি কৰা দূৰৰ কথা, নিজৰ দপ্তৰৰ অধীনত থকা কাৰ্য্যালয় এটাও ভালকৈ পৰিদৰ্শন কৰিব পাৰিব বুলি কোনোৱে নাভাবে। তেওঁলোকক মন্ত্ৰীসভাত যাই উদ্দেশ্য হ'ল বিভিন্ন অনুন্নত আৰু

সংখ্যালঘু সম্প্ৰদায়ৰ মনত এটা Sense of belonging বা আত্মীয়তাৰ ভাব জগাই তোলা আৰু ঘৰ-ফলা মনোবৃত্তিক হেঁচা মাৰি ৰখা। সেই উদ্দেশ্যেই নতুন মন্ত্ৰীসভাত চাৰিজনকৈ মুছলমান, তিনিজন পাহাৰীয়া জনজাতি, দুজন ভৈয়াম জনজাতিৰ আৰু দুজন আহোম জাতিৰ প্ৰতিনিধি লোৱা হৈছে। অনুসূচিত সম্প্ৰদায়, মতক, চাহ-মজদুৰ, বাঙালী, মণিপুৰী, চুটীয়া আদি অনুন্নত সম্প্ৰদায়ৰ লোকেও একোজনকৈ প্ৰতিনিধি পাইছে। (ইতিমধ্যে এটা কথা খুব জোৰেৰে প্ৰচাৰ কৰা আমাৰ কাণত পৰিছে যে নতুন মন্ত্ৰীসভাত চাহ মজদুৰসকলে তিনিজন প্ৰতিনিধি পাইছে, কিন্তু একমাত্ৰ চত্ৰগোপাল কৰ্মকাৰৰ বাহিৰে আন কাকো মজদুৰসকলে নিজৰ প্ৰকৃত প্ৰতিনিধি বুলি স্বীকাৰ নকৰে।) যিহওক, বিভিন্ন অনুন্নত আৰু সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতিনিধি স্বৰূপে এই মন্ত্ৰীসকলে মুছলমানৰ অসন্তুষ্টি, বড়ো (পিটিচি) আৰু আহোম সকলৰ (আহোম-টাই- মঙ্গোলীয় পৰিষদ) স্বায়ত্ব শাসনৰ দাবী আৰু চাহ মজদুৰ আৰু অন্যান্য শোষিত সম্প্ৰদায়ৰ মৰ্মবেদনাক কেনেকৈ সাঁত কৰি ৰাখে, তাৰ প্ৰতি আমি সতৰ্ক দৃষ্টি ৰাখিম। অন্থা এবছৰৰ ভিতৰত এনেকুৱা ভাঙোনমুখী আন্দোলন যদি তল পৰে, তেতিয়া আমি ভাবিম যে শ্ৰীচৌধুৰীৰ চেষ্টা একেবাৰে অথলে যোৱা নাই। কিন্তু তাৰ বিপৰীতটো ঘটিবলৈ হ'লে তেওঁ আৰু তেওঁৰ স্ফটিকায় মন্ত্ৰীসভা ৰাইজৰ বিচাৰৰ সন্মুখীন হ'ব লাগিব। অনুন্নত আৰু সংখ্যালঘু সম্প্ৰদায়ৰ মনত আস্থাৰ ভাব জনাবৰ কাৰণেই যি কেইজন লোকক মন্ত্ৰী হিচাপে লোৱা হৈছে, তেওঁলোকে কেনেকৈ নিজৰ দায়িত্ব পালন কৰে, তাৰ প্ৰতি আমি চোকা নজৰ ৰাখিম।

মন্ত্ৰীসভাখন গাঁথনি সম্পৰ্কত আৰু কেইটামান কথা মন কৰা দৰ্কাৰ। উচ্চ বৰ্ণৰ হিন্দুসকল অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৫ ভাগ মাত্ৰ। অসমৰ মন্ত্ৰীসভাত উচ্চ বৰ্ণৰ হিন্দু সম্প্ৰদায়ৰ প্ৰতিনিধি শতকৰা প্ৰায় ৩৫ ভাগ। অৰ্থাৎ ২৬ জনীয়া মন্ত্ৰীসভাত অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৫ ভাগ মাত্ৰ মানুহৰ প্ৰতিনিধি ৯ জন আৰু আনহাতে শতকৰা ৯৫ ভাগ মানুহ, অৰ্থাৎ মুছলমান, চাহ মজদুৰ, অনুসূচিত সম্প্ৰদায়, বড়ো, কোচ, ৰাজবংশী, আহোম, চুটীয়া, ভৈয়ামৰ জনজাতি, বাঙালী আদি সকলো সম্প্ৰদায়ৰ প্ৰতিনিধি মাত্ৰ ১৭ জন। লগতে এই কথাও মনত ৰখা দৰ্কাৰ যে প্ৰকৃত ৰাজনৈতিক ক্ষমতা বৰ্ণ-হিন্দুৰ চাৰি পাঁচজন লোকৰ হাততেই সীমাবদ্ধ; বাকীসকল কম-বেছি পৰিমাণে সাক্ষী গোপাল মাত্ৰ বুলি ক'লেও মিছা কোৱা নহয়। অৱশ্যে এইখিনি কথা কোৱাৰ উদ্দেশ্য এই নহয় যে উচ্চ বৰ্ণ সম্প্ৰদায়ৰ মানুহ বেছিকৈ মন্ত্ৰী হ'লে দেশখন ৰসাতলে যাব বা সেই কাৰণেই ঈৰ্ষাত অন্যান্য সম্প্ৰদায়ৰ বুকু কঁপিছে। কিন্তু যি সমাজ ব্যৱস্থাই সমাজৰ মাত্ৰ ৫ ভাগ মানুহৰ হাততেই শাসনৰ আৰু শোষণৰ সকলো ক্ষমতা কেন্দ্ৰীভূত কৰি ৰাখি বাকী শতকৰা ৯৫ ভাগ মানুহৰ অনুগ্ৰহ আৰু পুতৌৰ পাত্ৰ কৰি ৰাখিছে, এই ব্যৱস্থাৰ অতি সোনকালে সলনি নহ'লে গণতন্ত্ৰ, সমাজবাদ আৰু ধৰ্ম নিৰপেক্ষতাৰ সকলো ঢাক-ঢোল অৰ্থহীন আৰু মূল্যহীন বুলি প্ৰতীয়মান হ'ব।

শ্ৰীচৌধুৰীৰ মন্ত্ৰীসভাখন আকাৰত আগতকৈ ডাঙৰ হ'ল হয়, কিন্তু তাৰ কলত গুণগত কিবা পৰিবৰ্তন হৈছে বুলি আমাৰ মনত ভাব হোৱা নাই। স্পষ্টভাবেই অযোগ্য আৰু অবাঞ্ছিত বুলি প্ৰমাণিত হোৱা আগৰ মন্ত্ৰীসভাৰ কেইজনমান লোক বাদ পৰা হ'লে আমি ভাল পালোঁহেঁতেন। অৱশ্যে যি আঠজন লোক নতুনকৈ মন্ত্ৰীসভাত সোমাইছে, তেওঁলোকৰ বিষয়ে আমি আগতীয়াকৈ কোনো মন্তব্য দিব নোখোজোঁ।

আশা কৰোঁ, তেওঁলোকে নিজৰ কাৰ্য্যৰ দ্বাৰাই তেওঁলোকৰ নিযুক্তি শুদ্ধতা আৰু সাৰ্থকতা প্ৰমাণ কৰিব।

কংগ্ৰেছ দলৰ এটা অতিশয় গুৰুত্বপূৰ্ণ মুহূৰ্তত শ্ৰীচৌধুৰীয়ে মুখ্যমন্ত্ৰী হৈ অসম কংগ্ৰেছক এক নতুন প্ৰগতিশীল আদৰ্শ আৰু কাৰ্য্যসূচীৰ ভেটিত ঐক্যবদ্ধ কৰিবলৈ এটা ডাঙৰ সুযোগ পাইছিল। কিন্তু যিকাৰণেই নহওক, তেওঁ সেই সুযোগ গ্ৰহণ কৰিব নোৱাৰিলে। তেওঁ যাইকৈ যিসকল লোকৰ পৰামৰ্শ মতে কাম কৰিছিল, সেই লোকসকল কিমান দূৰ যুক্তিৰ দ্বাৰা পৰিচালিত হৈছিল আৰু কিমান দূৰ আৱেগৰ দ্বাৰা বিভ্ৰান্ত হৈছিল- সেই বিষয়ে আমাৰ মনত যথেষ্ট সন্দেহ আছে। অসমীয়া মানুহৰ চিন্তাত যুক্তিবাদিতা আৰু বস্তুনিষ্ঠাৰ এনেই একান্ত অভাৱ, তাতে যোৱা কেইবছৰমান ধৰি অসমৰ জাতীয় জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতেই ভাবালুতাৰ অবাধ ৰাজত্ব চলিছে। প্ৰত্যেকেই তাড়-স্বৰে নিজৰ ৰুচি-অভিৰুচি আৰু মতামত ঘোষণা কৰে, কিন্তু কোনো যুক্তি দেখুৱাবলৈ বা তৰ্ক কৰিবলৈ আগবাঢ়ি নাহে। আমি ভাবোঁ যে মন্ত্ৰীসভা গঠনৰ কেইটামান বিশেষ প্ৰশ্নত চৌধুৰীয়ে ভুল পৰামৰ্শ গ্ৰহণ কৰি অসমৰ ৰাজনৈতিক ক্ষেত্ৰত নতুন জটিলতাৰ সৃষ্টি কৰিছে। অৱশ্যে সময়েহে তাৰ শেষ প্ৰমাণ দিব। তথাপি আমি চৌধুৰীক সঁকীয়াই দিব খোজোঁ যে তেওঁ আৱেগৰ উত্তাপতকৈ যুক্তিৰ পোহৰৰ প্ৰতি আৰু মোচাহাবৰ স্তুক-বাক্যতকৈ নিন্দুকৰ কটুক্তিৰ প্ৰতি অধিক মনোযোগী হ'লে তেওঁৰ ৰাজনৈতিক ভৱিষ্যৎ অধিক উজ্জ্বল হ'ব।

ভূগোল আৰু বুৰঞ্জী

ৰবীন্দ্ৰনাথে এবাৰ কৈছিল— "ভাৰতবৰ্ষ মোৰ কাৰণে এখন দেশ বা ভূমিখণ্ড নহয়; ই মোৰ কাৰণে এটা আইডিয়া বা ধাৰণা মাত্ৰ।" আমি যিসকল লোকে অসম নামটো স্মৰণ কৰা মাত্ৰকতে সেই দেশৰ স্বল্পত দুহেজাৰ বছৰৰ ইতিহাসক জীৱন্ত ৰূপত অনুভৱ কৰোঁ, তেওঁলোকৰ কাৰণে অসম দেশ প্ৰধানকৈ এটা আইডিয়া বা ধাৰণা। অসম তেওঁলোকৰ কাৰণে কেৱল ভূগোল নহয়, ই ঘাইকৈ বুৰঞ্জী। অসম তেওঁলোকৰ কাৰণে কেৱল এটা প্ৰশাসনিক গোট নহয়, ই এটা অখণ্ড আৰু অবিভাজ্য সাংস্কৃতিক সত্তা। অসম কেৱল ৰজা বা মন্ত্ৰী বা বিষয়াৰ ৰাজনৈতিক গৱেষণাগাৰ মাত্ৰ নহয়, ই এটা জাতিৰ সভ্যতাৰ ক্ৰোড়-ভূমি। অৱশ্যে এই সত্য অন্তৰেৰে অনুভৱ কৰিব পাৰে কেৱল সেইসকল লোকেহে— যিসকল লোক ৰজা ভগদত্তৰ দিনৰে পৰা আজিলৈকে নিছিগা ধাৰেৰে বোৱা অসমীয়া সভ্যতাৰ ঘাই সুঁতিৰ অবিচ্ছেদ্য অংশ বিশেষ। বাকী আন সকলোৰে কাৰণে অসম দেশ এটা ভৌগোলিক অস্তিত্ব মাত্ৰ; ই এটা ঐতিহাসিক প্ৰতীক নহয়।

অসমৰ দুখন মানচিত্ৰ আছে— এখন হ'ল তাৰ ঐতিহাসিক আৰু আনখন সাংস্কৃতিক মানচিত্ৰ— যিখন মানচিত্ৰ সুদূৰ প্ৰাচীন কালৰে পৰা আজি পৰ্যন্ত সুদীৰ্ঘ প্ৰায় চাৰি হাজাৰ বছৰ ধৰি এক আৰু অপৰিবৰ্তিত হৈয়েই আছে। এই মানচিত্ৰই সামৰি লৈছে শদিয়াৰ পৰা ধুবুৰীলৈকে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা। ইতিহাসৰ বিভিন্ন যুগত এই ভূ-খণ্ডত কোঁচ, কছাৰী, আহোম, চুতিয়া, ভূঞা, মৰাণ আদি কোন ৰাজবংশে বা জাতিয়ে কোন অঞ্চলত ৰাজত্ব কৰিছিল সেই কথা সম্পূৰ্ণ অবান্তৰ। সত্য কেৱল এই যে ফুলৰ পাহিবোৰ পাহি লগ লাগি যেনেকৈ এপাহি সম্পূৰ্ণ ফুল সৃষ্টি হয়, ঠিক তেনেকৈয়ে মহাবাহু ব্ৰহ্মপুত্ৰৰ দুই পাৰে বিভিন্ন জাতি উপ-জাতিয়ে যুগ যুগ ধৰি মনুষ্যত্বৰ যি সাধনা কৰিছিল, তাৰেই সংস্কৃত-সমন্বিত ৰূপ হ'ল অসমীয়া সভ্যতা আৰু সংস্কৃতি।

অসমৰ আনখন মানচিত্ৰ হ'ল ভৌগোলিক আৰু ৰাজনৈতিক। ৰাজশক্তিৰ উত্থান-পতনৰ লগে লগে এই মানচিত্ৰৰ বঢ়া-টুটা আৰু সলনি হৈ আহিছে। অসমৰ আধুনিক মানচিত্ৰ বুলিলে আমি যি বুজোঁ অসমত যোৱা ডেৰশ-দুশ বছৰ ধৰি যি মানচিত্ৰৰ লগত আমাৰ পৰিচয় হৈ আহিছে, সি ঘাইকৈ বৃটিছ শাসনৰ সৃষ্টি। বৃটিছ সকলে অসম অধিকাৰ কৰি ডেৰশ বছৰ ধৰি এই দেশ শাসন নকৰা হ'লে ব্ৰহ্মপুত্ৰ উপত্যকাৰ যি ছখন জিলাৰ লগত ছখন পাহাৰীয়া জিলা আৰু সুৰমা উপত্যকা যোগ হৈ তেল-পানী মিহলি কৰাৰ দৰে অসমৰ বৰ্তমান মানচিত্ৰৰ কেতিয়াও সৃষ্টি নহ'লহেঁতেন। মিজো পাহাৰৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ যি মানসিক দূৰত্ব, সি আন্দামান বা নিকোবৰ দ্বীপপুঞ্জৰ দূৰত্বতকৈ খুব বেছি কম নহয়। নগা, গাৰো বা খাচিয়া-জয়ন্তীয়া পাহাৰ অৱশ্যে মানসিকভাৱে সিমান দূৰণিৰ বাট নহয়; তথাপি তেওঁলোকৰ লগতো আমাৰ সম্পৰ্ক— 'ওলাই দেখিবা ৰাক, শতক নাভাবিবা তাক' ঠিক এই ধৰণৰ। তেওঁলোক আমাৰ চিনাকি-চুবুৰীয়া মাত্ৰ। ইতিহাসৰ দীৰ্ঘ-পথত আমাৰ আধ্যাত্মিক অভিযানৰ বা সভ্যতাৰ সাধনাৰ অংশীদাৰ নহয়।

যোৱা ডেৰশ বছৰৰ ভিতৰত অসমৰ ৰাজনৈতিক মানচিত্ৰৰ বহবাৰ সলনি হৈছে। গোৱালপাৰা আৰু

শ্ৰীহট্ট জিলা ১৭৬৫ চনতেই বৃটিছৰ তললৈ আহিছিল। কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু কাছাৰ এই পাঁচখন জিলা ১৮২৬ চনত, লখীমপুৰ জিলা ১৮৩৮ চনত বৃটিছ শাসনৰ তললৈ আহে। ১৭৭৪ চনৰ ফেব্ৰুৱাৰী মাহৰ এটা ঘোষণা অনুযায়ী গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ, লখীমপুৰ, গাৰো পাহাৰ, খাচিয়া-জয়ন্তীয়া পাহাৰ আৰু নগা পাহাৰ এইকেইখন জিলাক লৈ বৃটিছ শাসনাধীন অসম প্ৰদেশ গঠন কৰা হয়। ১৮৭৪ আৰু ১৮৯৫ চনত যথাক্ৰমে উত্তৰ লুচাই আৰু দক্ষিণ লুচাই পাহাৰক অসমৰ লগত যোগ কৰা হয়। ১৯০৫ চনত অসমক পূৰ্ব-বংগৰ লগত জাপি দি এখন প্ৰদেশ কৰা হয়। কিন্তু ১৯১২ চনত ইয়াক আকৌ সুকীয়া প্ৰদেশ কৰা হয়। মনত ৰখা দৰকাৰ যে এই আটাইবোৰ অদল-বদল কৰা হৈছিল বিদেশী শাসকৰ ৰাজনৈতিক আৰু প্ৰশাসনিক স্বাৰ্থতহে, তাৰ লগত আচল অসমৰ কল্যাণ-স্বাৰ্থৰ কোনো সম্পৰ্ক নাছিল। দেশ স্বাধীন হোৱাৰ পাচতো অসমৰ ৰাজনৈতিক মানচিত্ৰৰ সাল-সলনি হৈ থকাৰ অন্ত নপৰিল। প্ৰথমতে শ্ৰীহট্ট পাকিস্তানলৈ গ'ল। কেইবছৰমানৰ পাচত নগা পাহাৰ অসমৰপৰা ফাটি গৈ সুকীয়া ৰাজ্যত পৰিণত হ'ল। এতিয়া খাচিয়া-জয়ন্তীয়া আৰু গাৰো পাহাৰো পৃথক হোৱাটো সম্পূৰ্ণ ঠিৰাং হ'ল। এই যিটো প্ৰচেচ্ বা প্ৰক্ৰিয়া আৰম্ভ হৈছে সি সম্পূৰ্ণ হ'ব তেতিয়াহে— যেতিয়া মিকিৰ পাহাৰ, উত্তৰ কাছাৰ, মিজো পাহাৰ আৰু কাছাৰো অসমৰপৰা আঁতৰি যাব। এই জিলাকেইখনে যদি অসমৰপৰা আঁতৰি যাব খোজে, তেন্তে আমি তেওঁলোকক বাধা দিয়াৰ পৰিবৰ্তে উৎসাহ দিয়াহে উচিত হ'ব; তেওঁলোক আঁতৰি গ'লে আমি বিমৰ্ষ হোৱাৰ পৰিবৰ্তে আনন্দিত হোৱাহে বেছি যুক্তিৰ কথা হ'ব। স্বাধীনতাৰ পিচৰপৰা যোৱা বাইশ-তেইশটা বছৰ কাল অসমৰ ৰাজনৈতিক নেতাসকলে পাহাৰক কেনেকৈ ভৈয়ামৰ লগত কৃত্ৰিম বান্ধোনেৰে বান্ধি ৰখা যায় সেই অপচেষ্টাতেই অপব্যয় কৰিলে। এই আবেগ-প্ৰৱণ ৰাজনীতিত তেওঁলোক ইমান মত্ত হৈ পৰিছিল যে কোনো কোনোৱে কেৱল এই অসাধ্য সাধন কৰিয়েই ইতিহাসত অমৰ হোৱাৰ সপোন দেখিছিল; কোনো কোনোৱে পৰ্বত-ভৈয়ামৰ মাজত সম্প্ৰীতি স্থাপনৰ অজুহাততে ৰাজ্যখনৰ অৰ্থনীতিৰ চিন্তা বাদ দি কেৱল আবেগ-সৰ্বস্ব ৰাজনীতি কৰাতেই ব্যস্ত হৈ পৰিছিল। বিশেষকৈ যোৱা বাৰটা বছৰ পাহাৰক ভৈয়ামৰ লগত একেলগ কৰি ৰখাৰ চেষ্টাত যিভাৱে সমূলি অপচয় কৰা হ'ল সেইখিনি চিন্তা আৰু চেষ্টা ব্ৰহ্মপুত্ৰ উপত্যকাৰ অৰ্থনৈতিক আৰু সংস্কৃতিৰ উন্নতিৰ কাৰণে ব্যয় কৰা হ'লে আমি কেবা খোজো আগবাঢ়ি গ'লোঁহেঁতেন। যোৱা দশকত এদল মানুহ ওলাইছিল— যিসকলে পাহাৰকেইখন আমাৰপৰা আঁতৰি গ'লেই অসমৰ সৰ্বনাশ হ'ব বুলি আমাক ভূতৰ ভয় দেখুৱাইছিল। নগাপাহাৰ আমাৰপৰা আঁতৰি গ'ল; তাৰ ফলত অসম কি ধৰা-পৃষ্ঠৰপৰা নিশ্চিহ্ন হৈ যোৱাৰ উপক্ৰম হৈছে? যোৱা এবছৰ ধৰি মেঘালয় আমাৰ লগত প্ৰায় নায়েই; তাৰ ফলত অসমৰ জাতীয় জীৱনত কি অভূতপূৰ্ব বিপৰ্য্যয়ে দেখা দিছে? মেঘালয় আঁতৰি যোৱাত বৰং ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰম উপকাৰেই হৈছে, কাৰণ তাৰ ফলত ৰাজধানীখন ৰাজ্যৰ জনসাধাৰণৰ হৃদয়ৰ কাষ চাপি অহাৰ এটা আশাই দেখা দিছে। এতিয়া যদি মিকিৰ পাহাৰে আৰু কাছাৰেও আমাৰপৰা আঁতৰি যাব খোজে বা সেই ভাবুকি দি দি আৰু কিছুদিন অসমৰ নেতাসকলক ভালুকৰ দৰে নচুৱাব খোজে, তেন্তে আমি তেওঁলোকক আমাৰ লগত থাকিব লাগে বুলি ভৰিয়ে-হাতে ধৰিব লাগে কিয়? এইকথা সকলোৱেই জানে যে এই পাহাৰ কেইখনক আমি কেৱল দিওঁহে, বিনিময়ত একোটো নাপাওঁ। তথাপিও যদি তেওঁলোকে আমাৰ লগত থকাৰ একো যুক্তি বিচাৰি নাপায়, অভিমানত মুখ ঘূৰাই নিয়ে, তেন্তে তেওঁলোকৰ মান ভাঙিবৰ কাৰণে কিহৰ গৰজত আমি ইমান সাধ্য-সাধনা কৰি থাকিব লাগে?

অসমৰপৰা নেফা গ'ল, নগা পাহাৰ গ'ল, মেঘালয় গ'ল বুলি যিসকল লোকে পতিক মৰা বিধৱা মাকৰ দৰে হিয়া ধাকুৰি কান্দে, সেই আবেগ-বিহ্বল লোকসকলে এবাৰো এটা কথা ভাবি নাচায় যে এইবোৰ অঞ্চল কোনো দিনেই অসমৰ লগত নাছিল। এইবোৰ অঞ্চল অসমৰ ভূগোলৰ অংশ হ'ব পাৰে, কিন্তু বুৰঞ্জীৰ নহয়। বহু শতাব্দীৰ আগতে অসমৰ মানুহে যেতিয়া ইতিহাসৰ যাত্ৰা আৰম্ভ কৰিছিল, তেতিয়া আমাৰ নিজৰ ঠাই বুলিবলৈ আছিল শদিয়াৰপৰা কৰতোৱা পৰ্য্যন্ত এই সুজলা-সুফলা ব্ৰহ্মপুত্ৰ উপত্যকাটো। দাঁতি-কাষৰৰ পাহাৰবোৰৰ লগত আমাৰ অহা-যোৱা আছিল, বেহা-বেপাৰ আছিল, 'সাঁজি-সখীৰ' সম্পৰ্ক আছিল; কিন্তু তেওঁলোকে, কোনোদিনেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ মূল প্ৰাণ-প্ৰবাহৰ অংশ বিশেষ নাছিল। মাজতে কেৱল বিদেশী শাসকে পাহাৰবোৰক অসমৰ লগত লগ লগাই এটা কৃত্ৰিম বন্ধনৰ সৃষ্টি কৰি গ'ল। আজি সেই কৃত্ৰিম বন্ধন স্বাভাৱিক নিয়মতেই ছিগি গৈছে; ইতিহাসৰ যি গতিধাৰাই সহস্ৰ বছৰৰ আগতে ব্ৰহ্মপুত্ৰ উপত্যকাত যাত্ৰা আৰম্ভ কৰিছিল, সি পুনৰ ব্ৰহ্মপুত্ৰ উপত্যকাতেই যাত্ৰা শেষ কৰিছে। আমি আচলতে একোৱেই হেৰুওৱা নাই। আদিতেও আমাৰ আছিল কেৱল ব্ৰহ্মপুত্ৰ উপত্যকা, অন্ততো থাকিব কেৱল ব্ৰহ্মপুত্ৰ উপত্যকা। মাজতে যিবোৰ যোগ-বিয়োগ হৈ গ'ল— সেইবোৰ ঐতিহাসিক আকস্মিক ঘটনাৰ বাহিৰে আন একো নহয়।

মুঠতে অদূৰদৰ্শী আৰু আবেগ-বিহ্বল ৰাজনৈতিক নেতাৰ যুক্তিহীন কথাত ভোল নগৈ আমি এটা কথাৰ কাৰণে নিজকে প্ৰস্তুত কৰিব লাগিব যে অসম মানেই ব্ৰহ্মপুত্ৰ উপত্যকা; কৃত্ৰিমভাৱে যুক্ত হৈ থকা বাকীবোৰ অঞ্চল লাহে লাহে অসমৰপৰা আঁতৰি গৈছে, যি দুই-চাৰিখন বাকী আছে সেইবোৰো যোৱা উচিত। অসমৰ আকাৰ লাহে লাহে সঙ্কুচিত হৈ অহা নাই; বৰং ক'ব পাৰি যে বেমাৰত ঢোল যেন হৈ ফুলি উঠা তাৰ গাটোৰ তেজ-পূঁজবোৰ ওলাই যোৱাৰ পাচত এতিয়া আগৰ স্বাভাৱিক আৰু আদি অৱস্থালৈ ঘূৰি আহিছে। ব্ৰহ্মপুত্ৰ উপত্যকাই অসমৰ ভৱিতব্য, অসমৰ সাধন-তীৰ্থ, অসমৰ চিৰন্তন ইতিহাস। আমাৰ পণ কেৱল এয়েই যে পৃথিৱী ৰসাতলে গ'লেও আমি যেন ব্ৰহ্মপুত্ৰ উপত্যকা তথা চিৰন্তন অসমৰ চাৰিসীমা কেতিয়াও সলনি হ'বলৈ নিদিওঁ, সংহতি নষ্ট হ'বলৈ নিদিওঁ, হৃদয়ৰ মিলনত চেকা পৰিবলৈ কেতিয়াও নিদিওঁ। ব্ৰহ্মপুত্ৰ উপত্যকাত যিসকল লোক দহ হাজাৰ বছৰৰ আগৰপৰাই বসতি কৰিছে বা কুৰি-পঁচিশ বছৰৰ আগতে আহি ইয়াত স্থায়ীভাৱে বসতি কৰিছে— এই সকলোৰে সমুখত বৰ্তমান শতাব্দীৰ অন্যতম ডাঙৰ কৰ্তব্য হ'ল ব্ৰহ্মপুত্ৰ উপত্যকা তথা অসমৰ ঐক্য আৰু সংহতি বজাই ৰাখি ইয়াক ভাৰতবৰ্ষৰ ভিতৰত এখন সুখী, সমৃদ্ধিশালী আৰু আদৰ্শ ৰাজ্য কৰি গঢ়ি তোলা। অসমৰ নতুন পুৰুষৰ সমুখতো ই এটা মহৎ প্ৰত্যাহ্বান।

নতুন পুৰুষ

নতুন পুৰুষ অৰ্থাৎ উঠি অহা ডেকা-গাভৰু সকলৰ কাৰণে এটা সুকীয়া শিতান খুলি সাপ্তাহিক নীলাচলে অসমৰ সাংবাদিকতাৰ বুৰঞ্জীত এটা গুৰুত্বপূৰ্ণ কামেই কৰিছিল। অৱশ্যে নতুন পুৰুষে এই শিতানটোৰ সম্পূৰ্ণ সদ-ব্যৱহাৰ কৰি কিবা নতুন কীৰ্ত্তি স্থাপন কৰিব পাৰিছেনে নাই সেই বিষয়ে শেষ কথা ক'বৰ সময় এতিয়াও নিশ্চয় হোৱা নাই। সদ্যহতে কেৱল এইখিনিকেই ক'ব পাৰি যে নীলাচলৰ এই শিতানটোৱেই অসমীয়া ভাষাত এটা নতুন অৰ্থবোধক শব্দৰ প্ৰচলন কৰিবলৈ সক্ষম হৈছে আৰু অসমৰ ডেকা-গাভৰুসকলক দিছে এটা নতুন- Identity বা নিজস্ব ব্যক্তিত্বসূচক পৰিচয়। পাঠকসকলে নিশ্চয় লক্ষ্য কৰিছে যে সাপ্তাহিক নীলাচলে প্ৰচলন আৰম্ভ কৰা 'ন-অসমীয়া মুছলমান' আদি বিবিধ শব্দৰ দৰে 'নতুন পুৰুষ' শব্দ দুটাও সকলোৱে গ্ৰহণ কৰিছে আৰু ব্যৱহাৰ কৰিছে।

অৱশ্যে এই নতুন শব্দ দুটা গ্ৰহণ কৰিলেও, নীলাচলৰ পাচত ব্যক্ত হোৱা নতুন পুৰুষৰ চিন্তা-ধাৰা আৰু জীৱনবোধ সমাজে কি ভাবে গ্ৰহণ কৰিছে, সেই বিষয়ে আমাৰ যথেষ্ট সন্দেহ আছে। যোৱা দুবছৰ ধৰি বহুতো ডেকা-গাভৰুৱে এই শিতানত বিভিন্ন সামাজিক প্ৰশ্নত নিজৰ মতামত নিৰ্ভিকভাৱে ব্যক্ত কৰিছে আৰু লগতে নিজৰ আশা-নিৰাশা, ভয়-শংকা আৰু আদৰ্শৰ কথাও প্ৰকাশ কৰিছে। কেইটামান বিশেষ প্ৰশ্নত (জাতিভেদ, আন্তঃসাম্প্ৰদায়িক বিবাদ, ছোৱালীৰ স্বামী নিৰ্বাচনৰ স্বাধীনতা) ডেকা-গাভৰুসকলে যি প্ৰগতিশীল সংস্কাৰ-মুক্ত দৃষ্টিভংগীৰ পৰিচয় দিছে, বেছিভাগ মানুহেই তাৰ প্ৰসংশা কৰিছে, কিন্তু বহুতো স্বীকাৰোক্তিমূলক ৰচনাত জীৱনৰ প্ৰত্যাহ্বানৰ প্ৰতি নতুন পুৰুষৰ যিধৰণৰ সঁহাৰি ফুটি উঠিছে, সেই সম্পৰ্কত সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। এই ৰচনাসমূহৰ পৰা দেখা যায় যে অসমৰ নতুন পুৰুষৰ চিন্তাত মননশীলতাতকৈ ভাবালুতাৰ, সমাজ চেতনাতকৈ অধিক আত্মকেন্দ্ৰিকতাৰ আৰু সংযমী মনোবৃত্তিতকৈ অভিযোগ পৰায়ণতাৰ প্ৰাধান্য বেছি। এজন চিন্তাশীল পাঠকে চিঠি লিখি আমাক জনাইছে যে যোৱা দুবছৰ ধৰি নীলাচলত 'নতুন পুৰুষ' শিতানটো পঢ়ি তেওঁৰ মনত ধাৰণা হৈছে যে সাধাৰণভাৱে অসমত শিক্ষিত ডেকা-গাভৰুসকল যেন আত্মকেন্দ্ৰিক, উচ্ছ্বাসপ্ৰৱণ আৰু প্ৰদৰ্শনকামী (Exhibitionist)। বংগদেশৰ 'দেশ' আলোচনীত মাজে মাজে সেই ৰাজ্যৰ ডেকা-গাভৰুসকলৰ প্ৰবন্ধ প্ৰকাশ হয়। সেই প্ৰবন্ধবোৰত বাঙালী ডেকা-গাভৰুবোৰৰ যি অধ্যয়নশীলতা, বিশ্লেষণ শক্তি, মৌলিক দৃষ্টিভংগী আৰু গাঢ় সমাজ-চেতনা দেখা যায়, তাৰ এক শতাংশও অসমৰ নতুন পুৰুষৰ চিন্তা-ধাৰাত দেখা নাযায়। ওপৰোক্ত পাঠকজনৰ এই চিঠিখন পঢ়ি আমাৰ এজন ডেকা বন্ধুৱে মন্তব্য কৰিছে— "যিসকল উন্নাসিক প্ৰবীণ লোকে অসমৰ নতুন পুৰুষক অন্য ঠাইৰ ডেকা-গাভৰুৰ লগত তুলনা কৰি বাওনা যেন দেখে তেওঁলোকে নিজকো এবাৰ অন্য দেশৰ পুৰণি পুৰুষৰ লগত তুলনা কৰি চায়নে?"

ডেকাজনৰ ইংগিতটো ইমান সুস্পষ্ট যে তাক আৰু ব্যাখ্যা নকৰিলেও চলে। যি হওক আমি এটা কথা স্বীকাৰ কৰি লোৱা উচিত যে অসমৰ নতুন পুৰুষ অসমৰ বিশেষ সামাজিক অৱস্থা, জীৱন-ধাৰা আৰু মানসিকতাৰেই সৃষ্টি। এডমাণ্ড বাৰ্কে কৈছিল— "আজিৰ ডেকা-গাভৰুসকলৰ চিন্তা আৰু অনুভূতিবোৰ

মোক কৈ দিয়া, অহা পুৰুষটো কি ধৰণৰ হ'ব মই তোমাক কৈ দিম।" অসমৰ নতুন পুৰুষ যদি আত্মকেন্দ্রিক, উচ্ছ্বাসপ্রবৰ আৰু কৰ্মবিমুখ তেন্তে এই কথাও স্বীকাৰ কৰিব লাগিব যে তেওঁলোক তেনে হোৱাৰ বীজ তেওঁলোকৰ পিতা-মাতাৰ মাজতেই লুকাই আছিল। আনহাতে নতুন পুৰুষক যদি আমি ঠিকমতে গঢ় দিব নোৱাৰোঁ, তেন্তে আমাৰ ভবিষ্যত বংশধৰসকলো বৰ্তমান পুৰুষৰ পৰা বৰ বেছি পৃথক হোৱাৰ আশা নাই।

আজি সমগ্ৰ বিশ্বজুৰি ডেকা-গাভৰুসকলৰ মাজত অভূতপূৰ্ব প্ৰাণ-চাঞ্চল্য দেখা দিছে। ইতিহাসৰ কোনো যুগতেই সমগ্ৰ জগতৰ তৰুণ-তৰুণীসকলে মিলি প্রচলিত সমাজ-ব্যবস্থা আৰু মূল্যবোধৰ বিৰুদ্ধে এনে ভাবি বিদ্রোহ কৰি উঠা নাছিল। অৱশ্যে এই বিদ্রোহৰ প্রতিটো দিশেই যে সমৰ্থনযোগ্য হৈছে সেই কথা ক'ব নোৱাৰি। কিন্তু ভূমিকম্প আৰু বা-মাৰলি আদি কেতবোৰ প্ৰাকৃতিক সংঘটনৰ দৰে মানৱ সমাজৰ ভেটি তল-ওপৰ কৰা কেতবোৰ বৈপ্লৱিক ঘটনাও এনেভাৱে অনিবাৰ্য্য আৰু অবধাৰিত যেন প্ৰতীয়মান হয় যে কোনো সমালোচনাই সেইবোৰক স্পর্শ কৰিব নোৱাৰে। আধুনিক তৰুণৰ বিপ্লৱ তেনেকুৱাই এটা ঘটনা।

এটা কথা সঁচা যে পৃথিবীৰ অন্যান্য বহু ঠাইত সংঘটিত হোৱা ধ্বংসাত্মক আৰু অবাঞ্ছনীয় কাৰ্য্য-কলাপৰ পৰা অসমৰ ডেকা-গাভৰুসকল বিৰত হৈ আছে। কিন্তু লগতে এই কথাও সঁচা যে যি সৃষ্টিশীল পৰিবৰ্তনৰ স্বপ্নই আধুনিক জগতৰ লক্ষ লক্ষ ডেকা-গাভৰুক উতলা কৰি তুলিছে সেই স্বপ্নও অসমৰ নতুন পুৰুষৰ কাৰণে অজ্ঞাত হৈয়ে আছে। সামাজিক শোষণ আৰু অন্যায়ৰ বিৰুদ্ধে বিদ্ৰোহ কৰা দূৰৰ কথা— অসমৰ নতুন পুৰুষে চিনেমাৰ টিকেটৰ চোৰাং বজাৰ কৰা এমুঠি গুণ্ডা বা খাদ্যত বিষ মিহলোৱা এমুঠি অসৎ বেপাৰীৰ বিৰুদ্ধে মাত মাতিবলৈকো মনত সাহস গোটাব পৰা নাই। অসমৰ নতুন পুৰুষৰ কাৰণে সমস্যা মানেই কেবল নিবনুৱা সমস্যা, ভবিষ্যতৰ চিন্তা মানেই কেবল অৰ্থনৈতিক নিৰাপত্তাৰ চিন্তা, বিদ্রোহ মানেই কেবল অভিযোগ-পৰায়ণতা।

এই অৱস্থাৰ অৱসান ঘটাই অসমৰ নতুন পুৰুষক কেনেকৈ সৰ্বাত্মক সমাজ-বিপ্লৱৰ অংশীদাৰ কৰা যায় তাৰ কাৰণে চিন্তা আৰু চেষ্টা কৰিবলৈ সাপ্তাহিক নীলাচল প্রতিশ্রুতিবদ্ধ। সেই উদ্দেশ্যে আমি নতুন পুৰুষ শিতানটোৰ আলোচনাৰ পৰিসৰ ব্যাপক কৰিবলৈ আৰু এই শিতানত প্ৰতিবছৰে একাধিক বিশেষ সংখ্যা উলিয়াবলৈ মনস্থ কৰিছোঁ। নতুন পুৰুষেই আজি সমাজৰ আটাইতকৈ সংখ্যাগৰিষ্ঠ আৰু শক্তিশালী গোট। তেওঁলোকে একত্রিত আৰু উদ্দেশ্য-প্ৰণোদিত হৈ কাম কৰিলে অতি শীঘ্ৰেই সমাজৰ ৰূপ সলনি হৈ যাবলৈ বাধ্য। সামাজিক পৰিবৰ্তনৰ কাৰণে অদূৰ ভবিষ্যতত তেওঁলোকে কি ধৰণৰ কাম কৰিব পাৰে, তাৰ এটা ইংগিত এই সংখ্যা কাকতৰ চিঠি-পত্ৰ শিতানত প্ৰকাশ পোৱা 'নতুন পুৰুষৰ সংকল্প' নামৰ চিঠিখনত দেখা গৈছে। নতুন পুৰুষে কৰিব পৰা কামৰ ই এটা ন্যূনতম নমুনা মাত্ৰ। অহা কেইমাহত নতুন পুৰুষৰ পৰা আমি এনেকুৱা অনেক ঘোষণা পাম বুলি আশা ৰাখিছোঁ।

নিবনুৱা সমস্যা

আমাৰ দেশত নিবনুৱা সমস্যাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। অৰ্থনৈতিক পৰিকল্পনা ভীষণ ত্ৰুটিপূৰ্ণ হোৱা কাৰণেই নিবনুৱা সমস্যাটোৱে এনে ৰূপ লৈছে। অৰ্থাৎ, আন কথাত ই আমাৰ বহু-প্ৰচাৰিত পাঁচবছৰীয়া পৰিকল্পনাকেইটাৰ চৰম বিফলতাৰ গ্লানি বহন কৰিছে মাথোন। ১৯৫১ চনত প্ৰথম পাঁচবছৰীয়া পৰিকল্পনা আৰম্ভ কৰাৰ আগলৈকে আমাৰ দেশত নিবনুৱাৰ সংখ্যা আছিল ৩৩ লাখ। প্ৰথম পৰিকল্পনাৰ শেষত এই সংখ্যা বাঢ়ি গৈ ৫৩ লাখ হ'লগৈ। দ্বিতীয় পৰিকল্পনা শেষ হোৱাত দেখা গ'ল যে দেশত নিবনুৱাৰ সংখ্যাটো ৯০ লাখলৈ উঠিছে আৰু তৃতীয় পৰিকল্পনাৰ শেষত ই ১ কোটি ১৫ লাখ হৈছেগৈ। বৰ্তমানে দেশত নিবনুৱাৰ সংখ্যা ১৫০ লাখ হ'ব বুলি অলপতে সংসদত চৰকাৰীভাৱে ঘোষণা কৰা হৈছে। এইদৰে বিচাৰ কৰিলে দেখা যায় যে আমাৰ তথাকথিত পাঁচবছৰীয়া পৰিকল্পনা নিনানে আগুৱাই গ'ল, নিবনুৱাৰ সংখ্যাটোও ভয়াবহভাৱে বাঢ়ি গৈয়ে থাকিল। পৰিকল্পনা-বিশাৰদসকলৰ মতে চতুৰ্থ পৰিকল্পনাৰ শেষত দেশত নিবনুৱাৰ সংখ্যা ২১০ লাখ হ'বগৈ। ইয়াৰ ভিতৰতে শিক্ষিত নিবনুৱাসকলৰ কথাও উল্লেখ নকৰি নোৱাৰি। ১৯৭০ চনৰ এপ্ৰিল মাহলৈকে যুগুত কৰা তথ্য অনুযায়ী দেশৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহত নাম ভৰ্তি কৰোৱা শিক্ষিত নিবনুৱাৰ সংখ্যা হৈছে ১৭ লাখ ৬০ হাজাৰ। ইয়াৰে দহ লাখ মেট্ৰিকুলেচন বা সমপৰ্য্যায়ৰ; প্ৰায় ৫ লাখ নিম্ন-স্নাতক পৰ্য্যায়ৰ আৰু ২ লাখ ৬৮ হাজাৰ গ্ৰেজুৱেট। তদুপৰি এক লাখ ইঞ্জিনীয়াৰ গ্ৰেজুৱেট আৰু ডিপ্লোমাধাৰী নিবনুৱা হৈ বহি আছে আৰু বছৰে বছৰে এইবিধ নিবনুৱাৰ সংখ্যা তীব্ৰ গতিত বৃদ্ধি পাই আছে। অলপতে নতুন দিল্লীলৈ আমেৰিকা আৰু চোভিয়েট ৰুচিয়াৰ নভোচাৰী বা মহাকাশ যাত্ৰীকেইজন আহোতে তেওঁলোকক আদৰণি জনাওঁতাসকলৰ ভিতৰত বিমৰ্ষমনা ২৫ জন ডেকাও আছিল; এওঁলোকে এখন বিক্ষোভ-পতাকাও সন্মুখত ৰাখিছিল। জানিব পৰা গৈছিল যে তেওঁলোকে দেশৰ তিনিশ নিবনুৱা বিমান চালকৰ প্ৰতিনিধিত্ব কৰিছে। অৰ্থাৎ, আন কথাত, বাণিজ্যিক বিমান চালকৰ অৰ্হতা থকা তিনিশজন ডেকাও এইখন দেশত নিবনুৱা হৈ থাকিব লগা হৈছে।

দেশৰ নিবনুৱাৰ প্ৰশ্নটো মাত্ৰ লাখ লাখ অৰ্ধাহাৰী বা অনাহাৰী লোকৰ এক বিস্তৃত গভীৰ ব্যৰ্থতাৰ বা মানবীয় দুখ-যাতনাৰ প্ৰশ্নই নহয়। এই প্ৰশ্নটো মাত্ৰ সামাজিক অবিচাৰৰ প্ৰশ্ন বুলিয়েই কৈ থ'ব নোৱাৰি। নিবনুৱা সমস্যা দৰাচলতে আমাৰ বৃহত্তম মানবীয় সম্পদ অপচয়ৰ কৰুণতম আৰু বৃহত্তম দৃষ্টান্ত বা প্ৰতিফলন মাথোন।

এই কথা অস্বীকাৰ কৰিবৰ উপায় নাই যে পুঁজিবাদী সমাজ ব্যৱস্থাৰে নিবনুৱা সমস্যাৰ স্থায়ী বা পূৰ্ণাংগ সমাধান কেতিয়াও সম্ভৱপৰ নহয়। একমাত্ৰ সমাজবাদকেই এই মৌলিক সমস্যাৰ স্থায়ী সমাধানৰ একমাত্ৰ উপায়। সেইপিনৰপৰা বিচাৰ কৰিলে নিবনুৱা সমস্যা দূৰীকৰণৰ প্ৰচেষ্টা, সমাজবাদ স্থাপনৰ প্ৰচেষ্টা বা যুঁজৰ অবিচ্ছেদ্য অংশ হিচাবেহে পৰিগণিত হয়। তথাপিও, আমাৰ মিশ্ৰিত অৰ্থনৈতিক ব্যৱস্থাতো এলানি সাহসী সংস্কাৰ সাধনৰ যোগে এই সমস্যাৰ সম্পূৰ্ণ সমাধান সম্ভৱপৰ নহ'লেও ভালেখিনি সমাধান সম্ভৱপৰ।

চৰকাৰে সাহ আৰু সততাৰে আগবাঢ়িলে শিক্ষিত নিবনুৱাৰ বাবেও যথেষ্ট ব্যৱস্থা হাতত ল'ব পাৰি।

সহজ ঋণ আৰু উদগনি ল'লে শিক্ষিত নিবনুৱাই ক্ষুদ্ৰ উদ্যোগবতো কথাই নাই, মধ্যমীয়া উদ্যোগতো হাত দিবলৈ পিচ নোহোঁহকে। কিছুদিনৰ আগতে জনদিয়েক নিবনুৱা ইঞ্জিনীয়াৰে কেৰালা ৰাজ্যত ঔদ্যোগিক সমবায় এখন প্ৰতিষ্ঠা কৰি নতুন স্কুটাৰ এবিধ তৈয়াৰ কৰিছে আৰু ইয়াৰে প্ৰথমখন অলপতে নতুন দিল্লীত প্ৰদৰ্শন কৰাও হৈছে। এইবিধ স্কুটাৰ ভাৰতত ভাৰতীয়ই সম্পূৰ্ণ আৰ্হি প্ৰস্তুত কৰি উলিওৱা প্ৰথম স্কুটাৰ। ইয়াত কোনো বিদেশী সহযোগৰ কথা নাই, বিদেশী যন্ত্ৰ-কৌশলৰো কোনো প্ৰয়োজন নাই আৰু ইয়াৰ শতকৰা প্ৰায় ৩ ভাগ অংশহে বিদেশৰপৰা অনা হৈছে। বেছি মজবুত আৰু দেখনিয়াৰ এইবিধ স্কুটাৰৰ দাম বৰ্তমান বজাৰত চলাবোৰতকৈ কেবাশ টকা কম পৰিব বুলিও প্ৰকাশ। ত্ৰিবান্দ্ৰমৰ এটা সৰু কাৰখানাত কেবাজনো নিবনুৱা কাৰিকৰী লোকে এই স্কুটাৰখন সাজি উলিয়াইছে। কেৰালা চৰকাৰৰ সাহায্য লৈ এতিয়া সমবায় প্ৰতিষ্ঠানটোৱে সেই ৰাজ্যৰ প্ৰত্যেক জিলাতে এই উদ্যোগৰ একোটাকৈ গোট স্থাপন কৰি বছৰি ২৫ হাজাৰকৈ স্কুটাৰ উলিয়াব পৰা ব্যৱস্থা হাতত লৈছে আৰু ইয়াৰ যোগে ৰাজ্যখনৰ কমেও চাৰিহাজাৰ কাৰিকৰী লোকক কৰ্ম-সংস্থান দিব পাৰিব বুলি স্থিৰ হৈছে।

কেৰালাত যি প্ৰচেষ্টা ফলৱতী হৈছে, তেনে ধৰণৰ প্ৰচেষ্টা দেশৰ অন্য ঠাইতো হাতত ল'ব পাৰি। তদুপৰি চৰকাৰে বৰ্তমানৰ সমবায় খণ্ডৰ অধীনত থকা জীৱনবীমা, ইউনিট ট্ৰাষ্ট, গ্ৰাম্য ডিবেঞ্চাৰ আদি সঞ্চয় প্ৰতিষ্ঠানসমূহৰ এজেণ্ট হিচাবে দূৰ-দূৰণিৰ অঞ্চলসমূহতো উদ্‌গণিমূলক কমিচন দি শিক্ষিত নিবনুৱা নিযুক্ত কৰিব পাৰে; আমাৰ লোক-পিয়লৰ কামত অতিৰিক্ত তথ্য সংগ্ৰহৰ ব্যৱস্থা কৰি অতিৰিক্ত নিবনুৱা লোকক তেনে কামত নিযুক্ত কৰিব পাৰে; মাটিৰ মালিকীস্বত্ব, আকাৰ-প্ৰকাৰ সম্পৰ্কীয় অপৰিহাৰ্য্য তথ্য সংগ্ৰহৰ কামত শিক্ষিত নিবনুৱা ডেকাক দলপাতি কাম কৰিবলৈ দিব পাৰে; আমাৰ বন-সম্পদ, খনি-সম্পদ আদিৰ তথ্য সংগ্ৰহৰ কামতো শিক্ষিত নিবনুৱাক নিযুক্ত কৰিব পাৰে; এক বৃহৎ জনশিক্ষা অভিযান চলোৱা কাৰ্য্যতো ডেকাসকলক নিযুক্ত কৰিব পাৰি। তদুপৰি প্ৰত্যেক মধ্যমীয়া আৰু বৃহৎ উদ্যোগে যদি বাধ্যতামূলকভাৱে শিক্ষিত নিবনুৱাক শিক্ষানবিচীৰ কাম দিয়ে আৰু চৰকাৰ আৰু সংশ্লিষ্ট উদ্যোগ দুয়ো লগ লাগি ইয়াৰ দায়িত্ব বহন কৰে তেন্তে নিবনুৱা সমস্যাৰ সমাধানত ইও কম সহায় নকৰিব।

কিন্তু সমাধান মাত্ৰ হাতত থাকিলেই বা মনত ৰাখিলেই নহ'ব। ইয়াক কাৰ্য্যকৰী কৰিবলৈ সাহস আৰু সততাৰে চৰকাৰে আগবাঢ়ি আহিব লাগিব। নিবনুৱা সমস্যা এক ৰাষ্ট্ৰীয় সমস্যা আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত ইয়াৰ সমাধানৰ মূল নীতি আৰু ক্ষেত্ৰ প্ৰস্তুত গৃহীত হ'ব লাগিব; খণ্ডিত ব্যৱস্থাৰে ইয়াক একো কৰিব নোৱাৰি।

সাপ্তাহিক নীলাচল, ১১৩ সংখ্যা ঃ ২৩ ডিচেম্বৰ, ১৯৭০

গ্ৰাম্য বৈদ্যুতিকৰণৰ কাহিনী

যোৱা মাহত হাৰিয়ানাৰ সকলো গাঁৱলৈকে বিজুলী যোগান ব্যৱস্থা সম্প্ৰসাৰণ কৰি সেইখন ৰাজ্যই গ্ৰাম্য বৈদ্যুতিকৰণৰ ক্ষেত্ৰত দেশত প্ৰথম স্থান লাভ কৰাৰ কৃতিত্ব আৰু গৌৰৱ অৰ্জন কৰিছে। ৰাজ্যখনৰ সৰ্বমুঠ ৬৬৬৯ খন গাঁৱলৈ বিজুলী যোগান ধৰিবলৈ সমৰ্থ হৈ সেই ৰাজ্যৰ চৰকাৰ, বিদ্যুৎ পৰিষদ আৰু ৰাইজে যি আদৰণীয়, ঐতিহাসিক আৰু সুদূৰপ্ৰসাৰী সফলতা অৰ্জন কৰিছে তাৰ বাবে তেওঁলোক ভাৰতবাসীৰ আন্তৰিক অভিনন্দনৰ পাত্ৰ। এইখিনিতে উল্লেখযোগ্য যে যোৱা বছৰলৈকে কেৰালা আৰু তামিলনাডুৱে দেশৰ ৰাজ্যসমূহৰ ভিতৰত গ্ৰাম্য বৈদ্যুতিকৰণত প্ৰথম স্থান অধিকাৰ কৰি আছিল; এতিয়া এই ক্ষেত্ৰত হাৰিয়ানা ৰাজ্যই দেশৰ ভিতৰত শীৰ্ষ স্থান লাভ কৰাই নহয়, গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি শতকৰা এশভাগ কাৰ্য্যকৰী কৰাতো হাৰিয়ানাই দেশৰ সৰ্বপ্ৰথম আৰু একমাত্ৰ ৰাজ্য হিচাবে পৰিগণিত হোৱাৰ গৌৰৱো অৰ্জন কৰিছে। হাৰিয়ানাৰ এই কৃতিত্ব বিশেষভাৱে তাৎপৰ্য্যপূৰ্ণ, কিয়নো দেশৰ শতকৰা ৫০ ভাগ গাঁৱলৈ ১৯৮০ চনত বিজুলী যোগান ধৰাটোহে সৰ্বভাৰতীয় লক্ষ্য হিচাবে অলপতে চৰকাৰীভাৱে স্থিৰ কৰা হৈছে। অৰ্থাৎ, আন কথাত আৰু দহ বছৰ পাচতহে দেশৰ অৰ্ধেক গাঁৱে বিজুলী যোগান ব্যৱস্থাৰ সুফল লাভ কৰিব পাৰিব। এইখিনিতে সুঁৱৰিব পাৰি যে চাৰি বছৰৰ আগতে যিদিনা সুকীয়া ৰাজ্য হিচাবে হাৰিয়ানা গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল, তেতিয়াৰ উন্নত অবিভক্ত পঞ্জাব ৰাজ্যৰ ভিতৰত এতিয়াৰ হাৰিয়ানাৰ অন্তৰ্ভুক্ত অঞ্চলসমূহ সবাতোকৈ পিচপৰা আছিল; হাৰিয়ানা এখন খাদ্য বিষয়ত ঘাটি ৰাজ্য আছিল; হাৰিয়ানাৰ অঞ্চলসমূহত বৃষ্টিপাত প্ৰায় নাছিল বুলিলেও হয়; ইয়াত জলযোগানৰ নৈসৰ্গিক উৎস অতি নগণ্য আছিল আৰু এই ৰাজ্যৰ শুকান বালিময় অঞ্চলবোৰ খৰাং বতৰৰ ফলত উৎপাদিকা শক্তিহীন হৈ পৰিছিল। ফলস্বৰূপে ৰাজ্যৰ মুঠ জনসংখ্যাৰ শতকৰা প্ৰায় ৮২ ভাগৰ অধ্যুষিত গ্ৰামাঞ্চলৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থা মুঠেই সন্তোষজনক নাছিল। হাৰিয়ানা ৰাজ্য স্থাপনৰ পিচৰেপৰা গ্ৰাম্য বৈদ্যুতীকৰণৰ ওপৰত অগ্ৰাধিকাৰ দিয়া হয় আৰু ইয়াৰ সুস্পষ্ট চাপ সেইখন ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতিত পৰিলক্ষিত হয়। সেইখন ৰাজ্যত বিজুলী-চালিত নলীনাদৰ সংখ্যা প্ৰায় ৮০ হাজাৰলৈ বৃদ্ধি পায়; কৃষকৰ আবাদযোগ্য মাটিৰ পৰিমাণ তীব্ৰ গতিত বৃদ্ধি পায়; খেতিৰ আৰু শস্যৰ আকাৰ প্ৰকাৰৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিবৰ্তন ঘটে; সাৰ, যান্ত্ৰিক কৃষিকাৰ্য্যৰ বাবে সা-সঁজুলিৰ ব্যৱহাৰ আৰু ট্ৰেক্টৰৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ ফলত প্ৰতি একৰত শস্যৰ উৎপাদন আগৰ দুগুণতকৈও অধিক হৈ পৰে। এইদৰে খেতিয়কৰ আয় বৃদ্ধি পায় আৰু ৰাজ্যৰ জনমূৰি আয় দৰ্শনীয়ভাৱে বৃদ্ধি হ'বলৈ ধৰে। গ্ৰাম্য বৈদ্যুতীকৰণৰ ফলত ৰাজ্যত উদ্যোগৰ ক্ষিপ্ৰ বিকাশ সম্ভৱপৰ হৈ উঠে। যোৱা বছৰটোৰ ভিতৰতে সেইখন ৰাজ্যত চাৰি হাজাৰৰ অধিক নতুন উদ্যোগ স্থাপিত হয় আৰু এই সকলোবোৰে ৰাজ্যিক বিদ্যুৎ পৰিষদৰপৰা বিজুলী সংযোগ গ্ৰহণ কৰে। তদুপৰি গাঁওসমূহত জীৱনৰ মান বহু পৰিমাণে উন্নীত হয়; ঘৰে ঘৰে ৰেডিঅ', বিজুলী-বিচনী আৰু অন্যান্য বৈদ্যুতিক ব্যৱহাৰৰ প্ৰচলন বৃদ্ধি পায়; ছবি-গৃহ আদি অৱসৰ বিনোদনৰ কেন্দ্ৰসমূহো বাঢ়িবলৈ ধৰে; টেলিভিচনৰ সুযোগ-সুবিধা আহি দুৱাৰমুখ পায়হি। মুঠ কথাত, ই গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱনৰ মাজত থকা ব্যৱধান কমাই আনি নোহোৱা কৰাত সৰ্বাধিক অৰিহণা যোগায়। হাৰিয়ানাত ঘৰে ঘৰে বিজুলী-যোগান ব্যৱস্থা হোৱাত দিনটোত কৰ্মময় সময়ৰ পৰিমাণো আগতকৈ শতকৰা ২৫ ভাগৰপৰা ৩৫ ভাগলৈ বৃদ্ধি পায়। গাঁৱত বিজুলী বাতিৰ

অভাৱত গাঁৱৰ লোকে দোকমোকালি আৰু সূৰ্য্যাস্তৰ আগে-পিচে পোহৰৰ অভাৱত কেইখিনি সময় কাম নকৰাকৈ থাকে বুলিলেও হয়। এই সময়ছোৱা দিনটোৰ কৰ্মময় সময়ৰ প্ৰায় এক-তৃতীয়াংশ হ'ব। এতিয়া বিজুলী-বাতিৰ বাবে ছাত্ৰসকলে যেনেকৈ এইখিনি সময় ফলপ্ৰসূ অধ্যয়নত খটুৱাব পাৰে গৃহিণীসকলেও তেনেকৈয়ে বোৱা-কটা আদি অধিকতৰ লাভজনক কামত এই সময়ছোৱা নিয়োগ কৰি পৰিয়ালৰ আয় বৃদ্ধিত সাহায্য কৰিব পাৰে। আনকি কৃষকসকলেও এই সময়ছোৱাত ঘৰৰ ভিতৰতে প্ৰয়োজনীয় কামখিনি কৰি লৈ বাকী দিন-পোহৰৰ সময়ছোৱাত কৃষি কাৰ্য্যত অধিকতৰ আত্মনিয়োগ কৰিব পাৰে। কৰ্মময় দিনটোৰ পৰিসৰ এনেকৈ বৃদ্ধি কৰিব পৰাটোৱে অৰ্থনৈতিক আৰু সামাজিক উভয় দিশতে সুদূৰপ্ৰসাৰী সফলতাৰ সূচনা নকৰাকৈ নাথাকিব।

হাৰিয়ানাৰ এই বৈপ্লৱিক সফলতাই আৰু এটি দিশৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। সেইটো হৈছে, হাৰিয়ানা চৰকাৰ, হাৰিয়ানা বিদ্যুৎ পৰিষদ আৰু হাৰিয়ানাৰ ৰাইজে সাহ আৰু সততাসম্পন্ন আত্ম-সেৱামূলক মনোভাৱ আৰু আচৰণেৰে গ্ৰাম্য বৈদ্যুতীকৰণৰ লক্ষ্যত উপনীত হৈছে। ইয়াকে কৰিবলৈ যাওঁতে এওঁলোকে চৰকাৰ আৰু বিদ্যুৎ-পৰিষদৰ সকলো ৰঙা ফিটাৰ পাক ছিঙি পেলাবলৈ সমৰ্থ হৈছে আৰু সেইবাবেই স্বতঃস্ফূৰ্তভাৱে বিভাগীয় কাৰিকৰী আৰু অধিকাৰী বিষয়া আৰু কৰ্মীসকলে ৰাতিক দিন কৰি দেহে-কেহে খাটি পাঁচ বছৰৰ কাম একেবছৰেই সম্পূৰ্ণ কৰিব পৰাৰ গৌৰৱৰো অধিকাৰী হৈছে। আশা কৰা হৈছে যে, অহা দুই-এবছৰৰ ভিতৰতে হাৰিয়ানাই দেশৰ সৰ্বাধিক অগ্ৰসৰ ৰাজ্যসমূহৰ আগশাৰীত স্থান লাভ কৰিব পাৰিব।

হাৰিয়ানাত যি সময়ত গ্ৰাম্য বৈদ্যুতীকৰণৰ যোগে গ্ৰাম্য অৰ্থনীতি আৰু সমাজ নীতিৰ বৈপ্লৱিক ৰূপান্তৰ সংঘটিত হৈছে, সেই সময়ত আমাৰ নিজ ৰাজ্য অসমে গ্ৰাম্য বৈদ্যুতীকৰণৰ ক্ষেত্ৰত দেশৰ ভিতৰতে পুতৌজনক স্থান অধিকাৰ কৰি ৰহি আছে। ১৯৬৮ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডে প্ৰায় ৬০ কোটি টকাৰ ঋণ আৰু প্ৰায় চাৰে এঘাৰ কোটি টকা সুদৰ বোজাত কঁকাল পেলাই দিব লগা অৱস্থা হৈছেহি। আলোচিত কালছোৱালৈকে অসম বিদ্যুৎ ব'ৰ্ডে লোকচান দিছে মুঠ ২ কোটি ২৭ লাখ টকা। ঋণ পৰিশোধ কৰিবলৈ বাকী থকাৰ উপৰিও এই ব'ৰ্ডে নতুন ধাৰ কৰিও তৎ পোৱা নাই। অসম চৰকাৰৰ ১৯৬৯ চনৰ অডিট ৰিপোৰ্ট মতে অসম বিদ্যুৎ ব'ৰ্ডে ট্ৰেঞ্চমিছন ক্ষতি হিচাবে শতকৰা ২৩ ভাগ শক্তিৰ অপচয় কৰিছে; প্ৰায় দুই লাখ টকা মূল্যৰ লকোমোটিভ আৰু ট্ৰলি অব্যৱহাৰত মামৰে খাইছে; প্ৰায় ডেৰ লাখ টকা মূল্যৰ সামগ্ৰী গুদামতে নোহোৱা হৈছে; একলাখৰ অধিক টকা মূল্যৰ সামগ্ৰী কাগজে-পত্ৰই আছে যদিও দৃশ্যমান হৈ থকা নাই; ৪০ লাখ ১৬ হাজাৰ টকা বিবিধ ধৰুৱাৰপৰা আদায় নকৰাকৈ আছে; প্ৰায় ৫ লাখ টকাৰ কাম নোহোৱাকৈয়ে ঠিকাদাৰৰ সমুদায় টকা আদায় দিয়াৰ কৃতিত্ব অৰ্জন কৰিছে; পাবলগীয়া ৫০ হাজাৰৰ অধিক টকা (ক্ষতিপূৰণ) সময়তে বিচাৰিব নোৱৰা বাবে ধৰা পৰিছে; য'ত মাত্ৰ ৫ হাজাৰ টকা দিলেই হয়, তাত ৩০ হাজাৰ টকা দি বদান্যতাৰ পৰিচয় দিছে; যাৰপৰা ৪১ হাজাৰ টকা পাব লাগে তাৰ পৰা ১৫ হাজাৰ টকাকে যথাসৰ্বস্ব বুলি গ্ৰহণ কৰাৰ দৰে ত্যাগ দেখুওৱা হৈছে; ৪৭ হাজাৰ টকাৰ সামগ্ৰী কিনিবলৈ লৈ ইয়াৰ শতকৰা ৯০ ভাগ মূল্য আগতীয়াকৈ উচল কৰি দিও এটকা মূল্যৰ সামগ্ৰীও পিচত যোগানকাৰীৰপৰা সৰকাৰ পৰা নাই; প্ৰায় তিনি হাজাৰ টকা মূল্যৰ সামগ্ৰীৰ বাবে ১৫ হাজাৰৰ অধিক টকা মূল্য হিচাবে দি উদাৰতা দেখুউৱা হৈছে, ইত্যাদি ইত্যাদি।

হাৰিয়ানা ৰাজ্য চৰকাৰৰপৰা অসম চৰকাৰে আৰু হাৰিয়ানা ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডৰ পৰা অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডে উপযুক্ত শিক্ষা আহৰণ কৰি সেইমতে আগবাঢ়ি যোৱাৰ শক্তি, সাহস, আন্তৰিকতা আৰু সামৰ্থ্য কেতিয়া আহিব?

সাপ্তাহিক নীলাচল, ১১৩ সংখ্যা ঃ ২৩ ডিচেম্বৰ, ১৯৭০

কপাৰনিকাচ্ আৰু গুৱাহাটী বিশ্ববিদ্যালয়

কপাৰনিকাচ্ মানৱ জাতিৰ অন্যতম মুক্তিদাতা বুলি পৰিচিত। তেওঁ মানুহক মুক্ত কৰিছিল মধ্যযুগৰ যুক্তি বিৰোধী অন্ধ-সংস্কাৰ আৰু দাসত্বৰ পৰা। ব্রাট্রাণ্ড ৰাচেলে তেওঁ 'পাশ্চাত্য দৰ্শনৰ ইতিহাস' নামৰ বিখ্যাত গ্ৰন্থত চাৰিটা যুগান্তকাৰী ঐতিহাসিক আন্দোলনৰ কথা উল্লেখ আছে— যিকেইটা আন্দোলনে আধুনিক দৰ্শন আৰু আধুনিক জ্ঞান-বিজ্ঞানৰ সূচনা কৰি আধুনিক জগতৰ ভিত্তি প্ৰতিষ্ঠা কৰিছিল। সেই আন্দোলন চাৰিটা হ'ল— (১)পোন্ধৰ আৰু ষোল্ল শতিকাৰ ইটালিয়ান নৱজাগৃতি (২) নৱজাগৃতি যুগৰ ভাবুকসকলে ঈশ্বৰৰ পৰিবৰ্তে মানুহক তেওঁলোকৰ চিন্তাৰ কেন্দ্ৰস্থলত প্ৰতিষ্ঠা কৰি সৃষ্টি কৰাৰ মানৱতাৰ আদৰ্শ (৩) লুথাৰেন সংস্কাৰবাদী আন্দোলন (৪) বস্তুবাদী অনুসন্ধান আৰু অধ্যয়নৰ পুনৰ্জীৱনৰদ্বাৰা নতুনকৈ আৰম্ভ হোৱা বৈজ্ঞানিক অনুশীলন। এই শেষোক্ত আন্দোলনৰ প্ৰধান কীৰ্তি আছিল কপাৰনিকাচৰ যুগান্তকাৰী বৈজ্ঞানিক সিদ্ধান্ত। তেওঁৰ পূৰ্বতে কেইবা শতাব্দী জুৰি মানুহে বিশ্বাস কৰিছিল যে পৃথিবী এটা স্থিত গ্ৰহ আৰু ই সমগ্ৰ বিশ্ব জগতৰ কেন্দ্ৰস্থলত বিৰাজ কৰিছে। কিন্তু কপাৰনিকাচে পৃথিৱীকেন্দ্ৰিক বিশ্বজগতৰ ধাৰণা ধূলিস্যাৎ কৰি প্ৰমাণ কৰি দেখুৱালে যে আচলতে সূৰ্য্যহে সৌৰ জগতৰ কেন্দ্ৰস্থলত বিৰাজ কৰিছে আৰু পৃথিবী সূৰ্য্যৰ চাৰিওফালে ঘূৰি ফুৰা এটা গ্ৰহ মাত্ৰ। কপাৰনিকাচৰ সেই সিদ্ধান্তই মধ্যযুগৰ অচলায়তন ধৰ্ম-বিশ্বাস আৰু যুক্তি বিৰোধিতাক আঘাত হানি যি বৈপ্লৱীক মুক্ত চিন্তা আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ সূচনা কৰিছিল— আজিৰ যুগত তাৰ গুৰুত্ব অনুমান কৰা সহজ নহয়।

অৱশ্যে কপাৰনিকাচৰ এই সিদ্ধান্ত এটা মৌলিক আবিষ্কাৰ নাছিল। তেওঁৰ জন্মৰ বহু শতাব্দীৰ পূৰ্বতেই পাইথাগোৰীয়ান গ্ৰীক দাৰ্শনিকসকলে সূৰ্য্যকেন্দ্ৰিক বিশ্বজগতৰ কল্পনা কৰিছিল। সেইসকলৰ ভিতৰত আৰিষ্টাৰকাচৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেৱেঁই প্ৰথম এই সত্য ঘোষণা কৰিছিল যে পৃথিৱীয়ে সূৰ্য্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰে। কিন্তু গ্ৰীক জ্ঞান-বিজ্ঞানৰ চৰ্চা লুপ্ত হৈ যোৱাৰ পাচত পৃথিৱীলৈ মধ্যযুগৰ অন্ধকাৰ নামি আহিল আৰু বহু শতাব্দী জুৰি মানুহে মুক্তচিন্তা আৰু যুক্তিবাদিতাৰ পথ পৰিহাৰ কৰি গোড়ামি আৰু অন্ধবিশ্বাসৰ স্বনিৰ্মিত কাৰাগাৰত বন্দী হৈ ৰ'ল। অৱশেষত গ্ৰীক জ্ঞান-ভাণ্ডাৰৰ পুনৰাবিষ্কাৰে ইউৰোপত নৱ-জাগৃতিৰ সূচনা কৰিলে। কোপাৰনিকাচে ইটালীত বলোনাৰ নোভাৰাৰ শিষ্য হিচাবে ছবছৰ কাল অধ্যয়ন কৰি থকাৰ সময়ত গুৰুৰ যুক্তিবাদী চিন্তাৰ দ্বাৰা অনুপ্ৰাণিত হৈ পুৰণি গ্ৰীক পুথি-পাঁজিৰ অন্বেষণ কৰিবলৈ ধৰিলে আৰু ফলস্বৰূপে তেওঁ আৰিষ্টাৰকাচৰ সূৰ্য্য-কেন্দ্ৰিক বিশ্বৰ ধাৰণাৰ পুনৰাবিষ্কাৰ কৰিলে। তাকে ভিত্তি কৰি তেওঁ বৈজ্ঞানিক অধ্যয়নত ব্ৰতী হ'ল আৰু সূৰ্য্যকেন্দ্ৰিক বিশ্বৰ ধাৰণাক নতুনকৈ দৃঢ় বৈজ্ঞানিক ভিত্তিত প্ৰতিষ্ঠিত কৰিলে। মানুহৰ জ্ঞান-চৰ্চাৰ ইতিহাসত ই এটা যুগান্তকাৰী ঘটনা বুলি স্বীকৃত হৈছে।

১৪৭৩ চনত পোলেণ্ডৰ এটা বিত্তশালী পৰিয়ালত কোপাৰনিকাচৰ জন্ম হৈছিল। তেওঁৰ দেউতাকো আছিল এজন জ্যোতিৰ্বিজ্ঞানী আৰু গণিতজ্ঞ। কোপাৰনিকাচ্ নিজে আছিল এজন ধৰ্ম-যাজক। ১৫০০ চনত তেওঁ ৰোমত অধ্যয়ন কৰিবলৈ যায়। তাতে তেওঁ পাইথাগোৰীয়-তত্ত্ব আৰু ইটালীৰ মানৱতাবাদী

সকলৰ সংস্পৰ্শলৈ আহে। ইটালীত ছবছৰ অধ্যয়ন কৰি ১৫০৫ চনত তেওঁ স্বদেশলৈ ঘূৰি গৈ গীৰ্জাৰ চাকৰি গ্ৰহণ কৰে আৰু অৱসৰ সময়ত জ্যোতিৰ্বিজ্ঞানৰ চৰ্চাত মনোনিৱেশ কৰে। ইটালীত থকা সময়তে তেওঁ প্ৰাচীন গ্ৰীক দাৰ্শনিকসকলৰ সূৰ্য্য-কেন্দ্ৰিক বিশ্বৰ যি ধাৰণা আহৰণ কৰিছিল, তাকে তেওঁ এতিয়া সেই যুগৰ সহজলভ্য আদিম যন্ত্ৰ-পাতিৰ সহায়েৰে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিলে। নিজৰ অধ্যয়নৰ ফল লিপিবদ্ধ কৰি তেওঁ 'De revolutionibusorbium coelestium' নামৰ এখন গ্ৰন্থ লিখে। কিতাপখন অৱশ্যে তেওঁৰ মৃত্যুৰ বছৰতহে প্ৰকাশ কৰি উলিওৱাটো সম্ভৱ হয়। কোৱা বাহুল্য মাথোন যে কোপাৰনিকাচৰ মতবাদে সেই যুগৰ ধৰ্ম-শাসিত সমাজৰ পৰা সহজে স্বীকৃতি পোৱা নাছিল, আৰু লুথেৰান আৰু কেথলিক উভয় সম্প্ৰদায়েই ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল। এই বিৰোধিতাৰ জোৰ চলিছিল দুশ বছৰৰ পিচৰ গেলিলিওৰ সময়লৈকে। অৱশেষত সত্যৰ জয় হ'ল আৰু পৃথিৱীত নতুন যুগৰ সূচনা হ'ল। এই নতুন যুগৰ অন্যতম অগ্ৰদূত আছিল কোপাৰনিকাচ্।

১৯৭৩ চনত কোপাৰনিকাচৰ পাঁচশ বছৰীয়া জন্ম-জয়ন্তী সমগ্ৰ পৃথিৱীজুৰি পালন কৰা হৈছে কোপাৰনিকাচৰ নাম স্মৰণ কৰি পৃথিৱীৰ বিদ্বান-মণ্ডলীয়ে মানব মনৰ সেই সত্য স্পৃহাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে— যি সত্য-স্পৃহা আৰু চিন্তাৰ দুঃসাহসিকতাৰ অবিহনে জ্ঞান-বিজ্ঞানৰ প্ৰগতি সম্ভৱ নহয়। এনেবোৰ উপলক্ষ্যতেই কোন কেনেকুৱা মানুহ তাৰ পৰিচয় পোৱা যায়। আশা কৰা হৈছিল যে অসমত জ্ঞানচৰ্চাৰ প্ৰধানতম আৰু প্ৰবীণতম কেন্দ্ৰ গুৱাহাটী বিশ্ববিদ্যালয়তো কোপাৰনিকাচৰ পাঁচশ বছৰীয়া জন্ম-জয়ন্তী পালন উদ্‌যাপিত হ'ব আৰু তাৰ দ্বাৰাই আমাৰ শিক্ষিত মনৰ পৰিচয় ফুটি উঠিব। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ে নিজে উদ্যোগ কৰি এই জন্ম-জয়ন্তী পালন কৰাৰ প্ৰতি কোনো আগ্ৰহ নেদেখুৱালেই বৰং কোনো কোনো শিক্ষকে ব্যক্তিগত উদ্যমত অনুষ্ঠুপীয়াকৈ হ'লেও এই উৎসৱ পালন কৰিব খোজা সত্বেও বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই তেওঁলোকৰ উৎসাহত চেঁচা পানীহে ঢালিলে। কিন্তু তাতকৈ লাজৰ কথা এয়েহে যে সৌ সিদিনা মাত্ৰ স্থাপিত হোৱা মেঘালয় চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষককে মাতি নি চিলঙত কোপাৰনিকাচৰ জন্ম-জয়ন্তী উদ্‌যাপন কৰিলে। শুনা মতে তেওঁলোকে বোলে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা অৰ্থ মঞ্জুৰীও আদায় কৰিলে। আমাৰ বিশ্ববিদ্যালয়ে এইবোৰ কাম কৰাৰ একো দৰকাৰ নাই; গুৱাহাটী বা প্ৰাগজ্যোতিষপুৰেই যে সুদূৰ অতীতত জ্যোতিৰ্বিজ্ঞান চৰ্চাৰ অন্যতম প্ৰধান কেন্দ্ৰ আছিল— কেৱল সেই স্মৃতি জপ কৰি থাকিলেই আৰু এটা যন্ত্ৰৰ দৰে বিশ্ববিদ্যালয়খন চলাই থাকিলেই আমাৰ সকলো কৰ্তব্য কৰা হৈ যাব। কিন্তু অসমৰ শিক্ষিত সমাজৰ মনত এইটো দুখেহে শেলে বিন্ধাৰ দৰে বিন্ধিব ধৰিছে যে অৱশেষত মেঘালয় চৰকাৰেও গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত টেক্কা মাৰিলে।

ইন্দিৰা গান্ধীৰ পৰা প্ৰত্যাখ্যান

নিৰ্দিষ্ট সময়তকৈ পোন্ধৰ মাহৰ আগতেই লোকসভা ভঙ্গ কৰি দি শ্ৰীমতী ইন্দিৰা গান্ধীয়ে আৰু এটা নতুন কীৰ্তি স্থাপন কৰিলে। তেওঁ নিজেই স্বীকাৰ কৰিছে যে কংগ্ৰেছৰ বিভাজনৰ পাচৰ পৰাই তেওঁ আচলতে এটা সংখ্যালঘু চৰকাৰৰ নেতৃত্ব কৰিছিল। কিন্তু শ্ৰীমতী গান্ধীৰ দল পাৰ্লিয়ামেণ্টত সংখ্যালঘু হোৱা সত্ত্বেও তেওঁৰ বিৰোধী পক্ষই যোৱা এবছৰতকৈ অধিক কাল ধৰি অহোপুৰুষাৰ্থ কৰিও তেওঁক পৰাস্ত কৰিব নোৱাৰিলে। শ্ৰীমতী গান্ধীৰ চৰম সঙ্কটপূৰ্ণ কালখিনি ইতিমধ্যেই পাৰ হৈ গৈছিল। অহা পোন্ধৰটা মাহ তেওঁ যে নিৰাপদে ক্ষমতাত অধিষ্ঠিত থাকিব পাৰিলেহেঁতেন— সেই বিষয়ে কোনো সন্দেহ নাই। তথাপিও যে তেওঁ পোন্ধৰ মাহ আগতেই লোকসভা ভংগ কৰি দি পুনৰ জনগণৰ ৰায় বিচাৰিবলৈ আগবাঢ়িছে, তাৰ দ্বাৰাই কেৱল তেওঁৰ চৰম আত্ম-বিশ্বাস আৰু সাহসেই প্ৰকাশ পোৱা নাই, লগতে গণতান্ত্ৰিক মূল্যবোধ আৰু জনসাধাৰণৰ ওপৰত অসীম আস্থাও প্ৰকাশ পাইছে।

অতি আচৰিত কথা এয়েহে যে যিসকল লোকে আজি অতদিনে ধৰি শ্ৰীমতী গান্ধীক ক্ষমতালোভী আৰু একনায়কত্ববাদী বুলি অভিহিত কৰি আহিছিল, তেওঁলোকে মধ্যবৰ্তী নিৰ্বাচন পতাৰ কাৰণে শ্ৰীমতী গান্ধীক অভিনন্দন জনোৱাৰ পৰিবৰ্তে পুনৰ তেওঁক নিন্দা কৰিবলৈহে আৰম্ভ কৰিছে। তেওঁলোকে বোধহয় বিচাৰে যে শ্ৰীমতী গান্ধীয়ে স্বেচ্ছাই পদত্যাগ কৰি কেইটামান বিৰোধী দলক এটা জগা-খিচুৰী চৰকাৰ গঠন কৰিবলৈ সুবিধা দিয়ক। ইয়াৰ বাহিৰে তেওঁলোকৰ বিভিন্ন উক্তিৰ আন একো অৰ্থ কৰিব নোৱাৰি।

জাতিৰ উদ্দেশ্যে দিয়া অনাতাঁৰ ভাষণত শ্ৰীমতী গান্ধীয়ে ঘোষণা কৰিছে যে আৰু পোন্ধৰ মাহ তেওঁ ক্ষমতাত অধিষ্ঠিত থাকিব পাৰিলেহেঁতেন; কিন্তু ক্ষমতাৰ কাৰণেই ক্ষমতাত থকা কথাটোত তেওঁ বিশ্বাস নকৰে। সমাজবাদ আৰু ধৰ্ম-নিৰপেক্ষতাৰ আদৰ্শক বাস্তৱত ৰূপায়িত কৰিবলৈ তেওঁ এনে কিছুমান কাম কৰিব খোজে—যিবোৰ কামৰ অনুমোদন বিচাৰি তেওঁ জনসাধাৰণৰ কাষ চাপিব খোজে। তেওঁৰ এই মনোভাৱৰ প্ৰতি আমি সম্পূৰ্ণ আদৰণি জনাইছোঁ। ৰাজন্যবৰ্গৰ মাননি উচ্চেদ কৰিব খোজা বিলখন যিভাৱে ব্যৰ্থ কৰি দিয়া হ'ল সিয়েই প্ৰমাণ কৰে যে লোকসভাৰ বৰ্তমানৰ গাঁথনিৰে আৰু অধিক প্ৰগতিশীল কাৰ্য্য-ব্যৱস্থা ল'বলৈ আগবঢ়াটো তেওঁৰ পক্ষে সম্ভৱ নহয়। নতুন কংগ্ৰেছ চৰকাৰে যি দহদফীয়া কাৰ্য্যসূচী ঘোষণা কৰিছিল, সেইখিনি কাৰ্য্যকৰী কৰিবলৈকো লোকসভাত তেওঁৰ সম্পূৰ্ণ নিৰ্ভৰযোগ্য শক্তিশালী সমৰ্থন থকা দৰকাৰ। এতিয়া তেওঁ বিভিন্ন দলৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰ চলাব লগা হোৱাৰ কাৰণে অনেক সময়ত এই দলবোৰে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে সমৰ্থন উঠাই ল'ম বুলি ভাবুকি দেখুৱাই ব্লেক-মেইল কৰিবও বিচাৰে। ফলত যি গতিৰে কামত আগবঢ়া দৰকাৰ সেই গতি পদে পদে ব্যাহত হয়। এই জটিল সমস্যাৰ একমাত্ৰ উত্তৰ হ'ল মধ্যবৰ্তী নিৰ্বাচন। কাৰণ ভাৰতৰ কোটি কোটি মানুহে আজি এক নতুন জীৱনৰ কাৰণে চৰম ব্যাকুলতা অনুভৱ কৰিছে আৰু তেওঁলোকৰ কাৰণে এটা মুহূৰ্তৰ অপচয়ো আজি সহ্য নহয়। বৰ্তমানৰ লোকসভাক আৰু পোন্ধৰ মাহ চলি থাকি তাৰ নিৰ্দিষ্ট আয়ুস পূৰ্ণ কৰিবলৈ দিয়া হ'লে বহুতো লোকক হয়তো সাংবিধানিক তৰ্কবাজীৰ দক্ষতা বা ক্ষমতাৰ ডবা-খেলৰ নিপুণতা দেখুৱাবলৈ সুবিধা দিয়া

হ'লহেঁতেন, কিন্তু সমাজৰ পুনৰ্বিন্যাসৰ কাৰণে ততাতৈয়াকৈ কৰিব লগা বহুতো কাম থাকি পোজৰ মাহৰ কাৰণে নকৰাকৈ পৰি থাকিলহেঁতেন। শ্ৰীমতী গান্ধীক ধন্যবাদ যে তেওঁ জনসাধাৰণৰ এই অস্থিৰতা আৰু ব্যাকুলতা হৃদয়ঙ্গম কৰিছে, আৰু নিজেও সেই অস্থিৰতা দেখুৱাবলৈ সাহ কৰিব পাৰিছে।

আসন্ন মধ্যবৰ্তী নিৰ্বাচন ভাৰতবৰ্ষৰ কাৰণে এটা বিৰাট প্ৰত্যাহ্বান। স্বাধীনতাৰ পাচত ভাৰতৰ জনতাৰ সমুখত ইয়াতকৈ গুৰুত্বপূৰ্ণ মুহূৰ্ত আগতে কেতিয়াও অহা নাছিল। এই কথা সঁচা যে দেশত ৰাজনৈতিক দলৰ সংখ্যা আগতকৈ কমা নাই, বৰং বাঢ়িছেহে; কিন্তু তথাপিতো কংগ্ৰেছৰ বিভাজনৰ পাচত দেশবাসীৰ সম্মুখত এতিয়া তিনিটা ৰাজনৈতিক আদৰ্শ বা পথ কম-বেছি পৰিমাণে স্পষ্ট হৈ উঠিছে। তাৰে এটা হ'ল ৰক্ষণশীল আৰু প্ৰতিক্ৰিয়াশীল সোঁ-পন্থা, এটা হ'ল হিংসাৰ আদৰ্শত বিশ্বাসী চৰম বাওঁ-পন্থা, আৰু তৃতীয়টো হ'ল গণতান্ত্ৰিক সমাজবাদৰ পথত বিশ্বাসী মধ্যম পন্থা। আসন্ন মধ্যবৰ্তী নিৰ্বাচনে এই তিনিওটা পন্থাৰ ভিতৰতে যিকোনো এটাই বাছি ল'বলৈ জনতাৰ আগত এটা অভূতপূৰ্ব সুযোগ আনি দিছে। ভাৰতবৰ্ষৰ জনতাই যদি এইবাৰ এটা শুদ্ধ পথ বাছি নলয়, তেন্তে ভাৰতবৰ্ষৰ ইতিহাসে অহা দশকত কোন পথে গতি কৰে সেই বিষয়ে ভৱিষ্যদ্বাণী কৰা বৰ টান। জনতাই সামান্য ভুল কৰিলেও অহা কেইবছৰমানৰ কাৰণে দেশত চৰম বিশৃংখলা আৰু অস্থিৰতাই দেখা দিব পাৰে। দ্বিতীয়তে, যোৱা দুবছৰৰ ভিতৰত দেশত যি process of Polarisation বা পক্ষ বিভাজনৰ প্ৰক্ৰিয়াৰ সূচনা হৈছে, সিও এটা সুস্পষ্ট আৰু সংহত ৰূপ পাবলৈ এটা ডাঙৰ সুযোগ আহি উপস্থিত হৈছে। এই সুযোগক সম্পূৰ্ণ সদ্ব্যৱহাৰ কৰা হয়নে নহয়, সি আজি দেশবাসীৰ আগত এটা বিৰাট প্ৰত্যাহ্বান ৰূপে দেখা দিছে। সকলো গণতান্ত্ৰিক আৰু সমাজবাদী শক্তি একগোট হৈ এই প্ৰত্যাহ্বানৰ উত্তৰ দিয়ক,— দেশৰ পৰিস্থিতিয়ে আজি তাকেই দাবী কৰে। এই নিৰ্বাচনৰ পাচতো যদি পঞ্চম লোকসভাত অজস্ৰ দল-উপদল থাকি যায় আৰু কোনো এটা দলেই নিৰঙ্কুশ সংখ্যা গৰিষ্ঠতা অৰ্জন কৰিবলৈ সক্ষম নহয়, তেন্তে তাৰ ফলত উদ্ভৱ হোৱা অস্থিৰতাই ভাৰতৰ অগ্ৰগতি বহুদিনলৈ ব্যাহত কৰি ৰাখিব। গণতন্ত্ৰৰ পৰীক্ষাত আমাতকৈ বহুত পিচ পৰি থকা সিংহল আৰু পাকিস্তানেও একোটা সুস্পষ্ট পথ বাছি লৈ এই ক্ষেত্ৰত আমাক বাট দেখুৱাইছে। ভাৰতবৰ্ষৰ জনতাই কেৱল সেই বাট অনুসৰণ কৰিলেই নহ'ব, লগে লগে তেওঁলোকে আৰু এটা নতুন বাটো দেখুৱাব লাগিব। তেওঁলোকে দেখুৱাব লাগিব যে সকলো প্ৰতিক্ৰিয়াশীল, সাম্প্ৰদায়িক, একনায়কত্ববাদী আৰু হিংসাশ্ৰয়ী আদৰ্শক মহিমূৰ কৰি প্ৰকৃত গণতান্ত্ৰিক, সমাজবাদী আৰু ধৰ্ম-নিৰপেক্ষ আদৰ্শৰ ভেটিত নতুন ভাৰতবৰ্ষ গঢ়ি তোলাৰ সুবুদ্ধি আৰু দৃঢ়-সঙ্কল্প তেওঁলোকৰ আছে। আসন্ন মধ্যবৰ্তী নিৰ্বাচন হ'ব ভাৰতৰ জনতাৰ কাৰণে এটা চৰম অগ্নিপৰীক্ষা, ইতিহাসৰ এক নতুন দিক-দৰ্শন।

সাপ্তাহিক নীলাচল, ১১৬ সংখ্যা ঃ ১৩ জানুৱাৰী, ১৯৭১

নতুন মহাৰাজা

আগন্তুক মধ্যৱৰ্তী নিৰ্বাচনৰ কাৰণে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মনোনয়নৰ কাম আৰম্ভ হৈছে। দুই-চাৰি দিনৰ ভিতৰতে এই কাম সম্পূৰ্ণ হ'ব। তাৰ পিছত মনোনীত প্ৰাৰ্থীসকলে নিজ নিজ সমষ্টিৰ ভোট-দাতাসকলৰ কাষ চাপিব। যোৱা তেইশ বছৰৰ ভিতৰত চাৰিবাৰকৈ বিভিন্ন দলৰ প্ৰাৰ্থীসকল এনেভাবে ৰাইজৰ কাষ চাপিছিল। প্ৰত্যেক বাৰেই তেওঁলোকে ৰাইজৰ ওচৰত ডাঙৰ ডাঙৰ প্ৰতিজ্ঞা কৰি ৰাইজৰ চকুৰ আগত ভৱিষ্যতৰ এখন মোহিনী ছবি দাঙি ধৰিছিল। দেশৰপৰা দাৰিদ্ৰ্য, দুৰ্নীতি আৰু শোষণ দূৰ কৰিব বুলি তেওঁলোকে ৰাইজক প্ৰতিশ্ৰুতি দিছিল। কিন্তু ৰাইজে নিজ চকুৰে দেখি আহিছে যে তেওঁলোকে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰা নাই। দেশৰপৰা দাৰিদ্ৰ্য আৰু শোষণ দূৰ হোৱাৰ পৰিবৰ্তে দিনে দিনে সি বাঢ়িহে আহিছে। এতিয়া মানুহৰ দুৰৱস্থাই ইমান চৰম সীমা পাইছেগৈ যে তেওঁলোকে অ-মানৱীয় সমাজ-ব্যৱস্থাৰ পৰিবৰ্তন কৰাৰ আন কোনো উপায় নেদেখি ৰক্তাক্ত হিংসাৰ পথকেই বাচি লৈছে। যিসকলে এই চৰম সত্যত আগবাঢ়িব খোজা নাই, তেওঁলোকেও সমাজৰপৰা অন্যায়-অনীতি আৰু শোষণ অন্ত পেলোৱাৰ আন কোনো উপায় দেখা নাই। যোৱা তেইশ বছৰৰ বঞ্চনা আৰু বিশ্বাসঘাটকতাই তেওঁলোকৰ বেছি ভাগকেই কৰি তুলিছে হতাশ আৰু সন্দেহ-পৰায়ণ। মানৱীয় সততা গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত তেওঁলোকে সমস্ত বিশ্বাস হেৰুৱাই পেলাইছে। এনে অৱস্থাত আগন্তুক মধ্যৱৰ্তী নিৰ্বাচনৰ যিসকল প্ৰাৰ্থীয়ে মোহমুক্ত ভোটদাতাসকলৰ কাষ চাপিব তেওঁলোকে স্বাভাৱিকতেই সকলোৰে পৰা এনে এটা প্ৰশ্নৰ সন্মুখীন হ'ব ঃ 'যোৱা চাৰিবাৰকৈ তোমালোকে আমাক ফাঁকি দিছা; এইবাৰো যে ফাঁকি নিদিবা তাৰ নিশ্চয়তা আছে?'

কিন্তু ৰাইজে এইবাৰ কেৱল প্ৰশ্ন কৰিয়েই ক্ষান্ত থাকিলে নহ'ব। ভোট খুজিবলৈ অহা লোকসকলক তেওঁলোকে এইবাৰ আৰু কেইটামান প্ৰশ্ন কৰিব লাগিব। আমাৰ দেশৰ সৰহভাগ মানুহেই সহজ-সৰল আৰু নিৰক্ষৰ। তেওঁলোকে এটা কথা এতিয়াও ভালকৈ বুজা নাই যে যোৱা তেইশ বছৰত ৰাইজৰ ভোটেৰে হোৱা এম-এল-এ, এম-পি আৰু মন্ত্ৰীসকলে দেশৰ কোটি কোটি জনতাৰ দুখ-দুৰ্গতি দূৰ কৰিব নোৱাৰিলেও এটা কাম কিন্তু খুব ভালকৈ কৰিছে। তেওঁলোকে সমাজত এটা নতুন শোষক আৰু সুবিধা-ভোগী শ্ৰেণীৰ জন্ম দিছে। এক কথা ক'বলৈ গ'লে দেশত সম্প্ৰতি এই শ্ৰেণীটোৱেই হ'ল আটাইতকৈ বেছি সুবিধা-ভোগী শ্ৰেণী। দেশৰ কেতবোৰ বাওঁ-পন্থী ৰাজনৈতিক দলে বহি-খোৱা ৰজা-মহাৰাজাৰ শ্ৰেণীটোৰ উচ্ছেদ কৰিব বিচাৰিছে যদিও লগে লগে এবিধ নতুন মহাৰাজাৰো জন্ম দিছে। দেশৰ এই নতুন সুবিধা-ভোগী মহাৰাজাসকল হ'ল এম-এল-এ, এম-পি আৰু মন্ত্ৰীসকল। যিসময়ত দেশৰ কোটি কোটি মানুহে জনমূৰি মাত্ৰ ১৯ পইচা দৈনিক উপাৰ্জনেৰে জীৱন নিৰ্বাহ কৰিব লাগে, কোটি কোটি মানুহৰ বছৰি জনমূৰি উপাৰ্জন ৫০ টকাতকৈ বেছি নহয়, সেই সময়ত একোজন কেন্দ্ৰীয় মন্ত্ৰীৰ বাৰ্ষিক দৰমহা, বিভিন্ন ভাট্টা আৰু ঘৰ ভাড়াৰ সকলো সা-সুবিধা ধৰি মুঠ বাৰ্ষিক উপাৰ্জন হ'ল ৪,৪৮,০০০ টকা। ৰাজ্যৰ একোজন মন্ত্ৰীৰ কাৰণেও ভাৰতৰ আধা-পেটী ৰাইজে বছৰি প্ৰায় এক লাখ টকা খৰচ কৰিব লাগে। কেন্দ্ৰৰ এজন মন্ত্ৰীয়ে নিজৰ প্ৰাসাদোপম চৰকাৰী বাস-গৃহতো নানা মূল্যবান আচ-বাব পত্ৰৰে সু-সজ্জিত কৰিবলৈ মুঠ ৩৮,০০০ টকাকৈ পায়। কেন্দ্ৰীয় মন্ত্ৰী-বৰ্গক ৰাজকীয় আৱাসত ৰাখিবৰ কাৰণে ভাৰতৰ হৃত-সৰ্বস্ব সমগ্ৰ জনতাই যি টকা খৰচ কৰিব লাগে — তাৰ পৰিমাণ যোৱা দহ বছৰৰ ভিতৰত ১.২ কোটি টকাৰ পৰা ২.৭০ কোটি টকালৈ বৃদ্ধি পাইছে। পাৰ্লিয়ামেণ্টৰ সদস্যসকলে যোৱা ১৯৬৪ চনত নিজৰ দৰমহা হিচাবে পাইছিল ৫০০ টকা আৰু তেওঁলোকৰ দৈনিক ভাট্টা আছিল ৩১

টকা। কিন্তু বছৰদিয়েক ঘূৰিবলৈ নৌপাওতেই তেওঁলোকৰ দৈনিক ভাট্টা ৩১ টকাৰপৰা ৫১ টকালৈ বৃদ্ধি কৰা হ'ল। আগতে তেওঁলোকে বছৰত মাত্ৰ ১০০ টা বিনামূলীয়া টেলিফোন কল কৰিব পাৰিছিল। এতিয়া তাৰ বৃদ্ধি কৰা হ'ল বছৰি ৫,৪০০ টা বিনামূলীয়া টেলিফোন কললৈ। ভাৰতীয় নাগৰিকসকলে নিজৰ জেপৰ টকা খৰচ কৰিও ইচ্ছা মতে বা অতিশয় জৰুৰী কামতো বিদেশলৈ যাব নোৱাৰে। কাৰণ চৰকাৰে তেওঁলোকক প্ৰয়োজনীয় বৈদেশিক মুদ্ৰা নিদিয়ে। কিন্তু এম-পি সকলে আগতে পোৱা ৬০০০ টকা মূল্যৰ বৈদেশিক মুদ্ৰাৰ ঠাইত এতিয়া ৯,০০০ টকা পোৱা ব্যৱস্থা হ'ল। এম-পি সকলে যিবোৰ সা-সুবিধা পায় বা পোৱাৰ ভিতৰত আছে দিল্লীত প্ৰথম শ্ৰেণীৰ সু-সজ্জিত বাসগৃহ, মটৰ গেৰেজ, ভৃত্য-গৃহ, পানী আৰু বিজুলী যোগানৰ কাৰণে বছৰি ৬০০ টকা, চিঠি-পত্ৰ লিখিবৰ কাৰণে বছৰি ১,২০০ টকা, সমগ্ৰ ভাৰত ভ্ৰমণ কৰিবলৈ বছৰজোৰা প্ৰথম শ্ৰেণীৰ ৰেলৰেৰ টিকট, এটা লগুৱাৰ কাৰণে এখন তৃতীয় শ্ৰেণীৰ টিকট, চাৰিবাৰকৈ বিনামূলীয়া বিমান ভ্ৰমণৰ সুবিধা ইত্যাদি। আৰামৰ জীৱনৰ কাৰণে লাগ বুলিলেই এনে এটা বস্তু নাই — যিটো এম-পি সকলে নাপায়। দিল্লীত কেঁচুৱাৰ মুখত এচামুচ গাখীৰ দিবৰ কাৰণে হাজাৰ হাজাৰ মানুহে এবছৰতকৈও অধিককাল 'ওৱেইটিং লিষ্ট'ত নাম লিখাই নিজৰ কপালক ধিয়াই বৈ থাকে। কিন্তু একেজন এম-পিয়ে লাগ বুলিলেই পোন্ধৰ লিটাৰ পৰ্য্যন্ত গাখীৰ পাব পাৰে। ইমানবোৰ সুবিধায়ো তেওঁলোকক সন্তুষ্ট কৰিব পৰা নাই, এতিয়া প্ৰত্যেকজন এম-পিয়ে ইচ্ছা কৰিলে দিল্লীত [illegible]টি কিনিব পৰাৰো ব্যৱস্থা তেওঁলোকে নিজে নিজে কৰি লৈছে। দিল্লীত হাজাৰ হাজাৰ মানুহে থকা ঘৰৰ অভাৱত ৰাস্তাৰ ফুট-পাথত পৰি থাকে; হাজাৰ হাজাৰ দিন হাজিৰা কৰা মানুহে প্ৰতিদিনে ২০/৩০ মাইল দূৰৰপৰা আহি উদয়াস্ত পৰিশ্ৰম কৰে; সৰ্বমুঠ ৭৬,০০০ চৰকাৰী চাকৰিয়ালে আজিলৈকে ক'তো থাকিবলৈ ঘৰ এডুখৰি পোৱা নাই — এনে স্থলত যিসকল এম-পি.ৰ কাৰণে চৰকাৰে প্ৰাসাদোপম বাসগৃহৰ ব্যৱস্থা ৰাখিছে, তেওঁলোকে এতিয়া চৰকাৰী নিয়ন্ত্ৰিত মূল্যত দিল্লী মহানগৰীত মাটিৰো অধিকাৰী হ'ব।

মনত ৰখা দৰকাৰ যে এই আটাইবিলাক মন্ত্ৰী আৰু এম. পি.য়ে দেশত শ্ৰেণীহীন সমাজ গঢ়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। সমাজবাদৰ কথা তেওঁলোকৰ মুখত আখৈ ফুটাদি ফুটে। কিন্তু কাৰ্য্যক্ষেত্ৰত তেওঁলোকে আজিলৈকে দেশৰ কোটি কোটি নিৰন্ন জনতাৰ এটা ফুটা কড়ি উপাৰ্জন বৃদ্ধি কৰিব পাৰক নোৱাৰক, ক্ষুধাতুৰ শিশুৰ মুখত এটোপাল গাখীৰ বা ফুট-পাথত পৰি থকা মানুহৰ মূৰৰ ওপৰত এখন চালি দিব পাৰক নোৱাৰক — নিজৰ বিলাস-বৈভৱ আৰু আৰামৰ মাত্ৰা দিনে দিনে বঢ়াই গৈ আছে। ভাৰতৰ মানুহৰ দৰে দুখীয়া মানুহ পৃথিৱীৰ ক'তো নাই; কিন্তু সেই দুখীয়া মানুহৰ প্ৰতিনিধিসকলে যি নিৰ্লজ্জ, নিষ্ঠুৰ আৰু অমানৱীয় আৰাম-প্ৰাচুৰ্য্যৰ মাজত জীৱন কটায় তাৰ তুলনা পৃথিৱীত আন ক'তো পাবলৈ নাই।

সমাজবাদৰ সৰ্ব-ঢাক মন্ত্ৰ মুখত লৈ এইবাৰ যেতিয়া নিৰ্বাচনৰ প্ৰাৰ্থীসকল জনতাৰ ওচৰলৈ আহিব, তেতিয়া যেন তেওঁলোকক এটা প্ৰশ্ন খুব ভালকৈ সোধা হ'ব : 'খাব নোৱাৰাৰ পেটত এমুঠি ভাত দিব নোৱাৰালৈকে আপোনালোকে নিজৰ বিলাস-বৈভৱৰ মাত্ৰাটো কিছু কমাই ৰাখিবনে? ভোট বিচাৰিবৰ সময়ত আমাৰ আগত আপোনালোকে যিবোৰ কাণত মৌ-বৰষা কথা কয়, দিল্লী পোৱালৈকে সেইবোৰ কথা আপোনালোকৰ মনত থাকিবনে? দুখীয়া মানুহৰ প্ৰতিনিধিৰ দৰে ত্যাগৰ জীৱন কটাবলৈ আপোনালোকে শিকিবনে?'

দিল্লীলৈ যোৱাৰ আগতে নিৰ্বাচন-প্ৰাৰ্থীসকলে এইবাৰ এইকেইটা প্ৰশ্নৰ উত্তৰ দিবই লাগিব। নহ'লে দিল্লীলৈ যোৱাৰ দ্বিতীয় এটা সুযোগ তেওঁলোকৰ জীৱনত আৰু নাহিবও পাৰে। ভাৰতৰ মানুহ ধৈৰ্য্যৰ শেষ সীমাত আহি উপনীত হৈছে। ইয়াৰ পিচত হয়তো তেওঁলোকে দিল্লীৰ সুৰম্য সংসদ-ভৱনৰ পৰিবৰ্তে ৰাজপথতেই নিজৰ ভাগ্য নিৰূপণ কৰিবলৈ চেষ্টা কৰিব পাৰে।

গাৱে গা দাঙিবৰ হ'ল

বহু শতাব্দীৰ পাষাণ-ভাৰত কুঁজা হৈ
তেওঁ কোৰখনৰ ওপৰত ভৰ দি থিয় হয়
আৰু মাটিলৈ চাই থাকে,
তেওঁৰ দৃষ্টিত ফুটি উঠে যুগ-যুগান্তৰৰ শূন্যতা,
আৰু তেওঁৰ পিঠিৰ ওপৰত সমস্ত পৃথিৱীৰ দুৰ্বহ বোজা।
কোনে তেওঁক কৰি তুলিলে আনন্দ আৰু হতাশাৰ প্ৰতি উদাসীন,
কোনে তেওঁক কৰি তুলিলে এনে এটা জীৱ —
যি এতিয়াও দুখ অনুভৱ নকৰে আৰু আশা নকৰে কেতিয়াও,
জঠৰ আৰু নিৰ্বাক, যেন হালৰ বলধৰ সহোদৰ ভাইহে তেওঁ।

—'কোৰখনৰ সৈতে মানুহজন' ঃ এডুইন মাৰ্খাম্।

কেইবাবছৰ আগতে বিখ্যাত ইংৰাজ ঐতিহাসিক আৰ্ণল্ড টয়নবী ভাৰতলৈ আহিছিল। বোম্বাইত এজন সাংবাদিকে তেওঁক প্ৰশ্ন কৰিলে ঃ 'ভাৰতৰ কোনটো কথাই আপোনাৰ মনত আটাইতকৈ দকৈ ৰেখাপাত কৰিছে?' টয়নবীয়ে উত্তৰ দিলে— 'চিৰন্তন দাৰিদ্ৰ্য আৰু শোষণৰ প্ৰতী ভাৰতীয় খেতিয়কৰ ছবিটোৱে। কল্পনা কৰক ভাৰতীয় খেতিয়ক এজনৰ ছবিটো— ঘৰৰ দুৱাৰমুখত তেওঁ স্থানুৰ দৰে বহি আছে; এনেতে গুৰু-ঘৰৰপৰা টেকেলা আহিল — গুৰু-কৰ লাগে; হাড়ক মাটি তেজক পানী কৰি কৰা উপাৰ্জনৰ এটা অংশ তেওঁ গুৰু-কৰ হিচাপে দি দিলে; পিচমুহূৰ্ত্ততে আহিল ৰজাৰ টেকেলা — ৰাজ-কৰ বা খাজনা লাগে; তেওঁকো দিব লগা উপাৰ্জনৰ এটা ভাগ; তাৰ পিচত আহিল মহাজনৰ টেকেলা, সুতে-মূলে ধাৰ পৰিশোধ কৰিব লাগে; গুৰু-ঘৰ আৰু ৰজা-ঘৰক দি যি সামান্য বাকী আছিল, সেইখিনিও ঋণ আদায়ৰ নামত লৈ গ'ল মহাজনৰ টেকেলাই। সকলোকে দি দি খেতিয়কজনৰ নিজৰ ভাগত থাকিল কেৱল অন্তহীন দাৰিদ্ৰ্য আৰু অভাৱৰ হাহাকাৰ। হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতীয় খেতিয়কৰ এই অৱস্থাই চলি আহিছে; তাৰ কোনো পৰিবৰ্ত্তন নাই। পৃথিৱীত ইয়াতকৈ মৰ্মন্তুদ দৃশ্য আন কিবা আছে বুলি আমাৰ বিশ্বাস নহয়।'

চমাৰ্ছেট্ মম্ যেতিয়া ভাৰতলৈ আহিছিল তেওঁ আন এজন সাংবাদিকৰ একেটা প্ৰশ্নৰ উত্তৰত প্ৰায় একে কথাকে কৈছিল ঃ 'ভাৰতীয় খেতিয়কৰ মূৰ্ত্তিটো;— এই দেশত ইয়াতকৈ অবিস্মৰণীয় অভিজ্ঞতা মোৰ কাৰণে আন একোৱেই নাই। পুবে-পশ্চিমে, উত্তৰ-দক্ষিণে যিফালে যাওঁ সেইফালেই কেৱল চকুত পৰে ভাৰতীয় খেতিয়কৰ হাড়ে-ছালে লগা, কুঁজা, ধূলি-ধূসৰিত মূৰ্ত্তিটো,— এক অকৰুণ জুই-বৰষা আকাশৰ তলত থিয় হৈ পাঁচ হাজাৰ বছৰৰ পুৰণি নাঙলটোকে টোচৰাই টোচৰাই কোনোমতে প্ৰাণটো ৰক্ষা কৰিবৰ কাৰণে মাটিৰ বুকুৰ পৰা এমুঠি অন্ন আজুৰি আনিবলৈ উদয়াস্ত প্ৰাণ-পাত কৰিছে। শতাব্দীৰ পিছত শতাব্দী ধৰি কত সভ্যতা ভঙা-গঢ়া আৰু কত সাম্ৰাজ্যৰ উত্থান-পতন হ'ল, কিন্তু ভাৰতীয় খেতিয়কৰ

জীৱনলৈ কোনো পৰিবৰ্তনেই নাহিল। এই দৃশ্যটোৱে মোৰ মনত খুব গভীৰ আৰু মচিব নোৱাৰা দাগ বহুৱাইছে।'

দুজন অনুভূতিশীল বিদেশীৰ দৃষ্টিত ভাৰতীয় খেতিয়কৰ এনে এটা কথাই ফুটি উঠিছে। আমাৰ নিজৰ মানুহে বোধহয় ইমান দকৈ এইবোৰ কথা নেভাবে। কাৰণ হাজাৰ হাজাৰ বছৰ ধৰি এই দৃশ্য দেখি দেখি সি আমাৰ চকুত নিতান্তই স্বাভাবিক আৰু সহনীয় হৈ উঠিছে। অন্যায়, শোষণ আৰু অমানবীয় দাৰিদ্ৰ্যৰ প্ৰতি এই সহিষ্ণুতাৰ মনোভাৱকে ভাৰতীয় মনৰ চৰম আধ্যাত্মিক পতনৰ লক্ষণ বুলি ক'ব পাৰি।

বৃটিছ শাসনৰ বিৰুদ্ধে হোৱা স্বাধীনতাৰ আন্দোলনে ভাৰতীয় জনতাৰ মনত এটা অভূতপূৰ্ব জাগৰণ আনিছিল। যদিও মূলতে সি আছিল মধ্যবিত্ত শিক্ষিত শ্ৰেণীৰ আন্দোলন, তথাপি গান্ধীজীৰ অভিনৱ নেতৃত্বই ভাৰতৰ সাত লাখ গাঁওত হাজাৰ হাজাৰ বছৰ ধৰি নিষ্প্ৰাণ হৈ শুই থকা চহা-হজুৱাৰ জীৱনৰ মৰা-সুতিলৈকো এসোতা বানপানীৰ খলকনি আনিছিল। ইতিহাসত সৰ্বপ্ৰথমবাৰৰ কাৰণে ভাৰতৰ সাধাৰণ জনসাধাৰণে নিজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰ সম্পৰ্কে সচেতন হৈ উঠিছিল। গান্ধীজীয়ে ঘোষণা কৰিছিল যে ভাৰতবৰ্ষৰ মুক্তি মানে তেওঁ বুজে ভাৰতৰ সাত লাখ গাঁওত বাস কৰা দৰিদ্ৰ, পদদলিত আৰু ভোকাতুৰ মানুহবোৰৰ মুক্তি; গান্ধীজী যি অৰ্থত এই মুক্তিৰ কথা কৈছিল তেনে মুক্তিৰ কথা ভাৰতৰ গাঁৱলীয়া চহা খেতিয়কৰ আগত ইয়াৰ আগতে আন কোনেও কোৱা নাছিল।

অৱশেষত বহু প্ৰতীক্ষিত স্বাধীনতা আহিল। তাৰ পিছতো এটা এটাকৈ তেইশটা বছৰ পাৰ হৈ গ'ল। এই তেইশটা বছৰত ভাৰতৰ কোটি কোটি গাঁওবাসীৰ জীৱনলৈ কিবা পৰিবৰ্তন আহিলনে? হাজাৰ বছৰৰ যি দাৰিদ্ৰ্য আৰু শোষণে তেওঁলোকৰ জীৱনক পঙ্গু কৰি ৰাখিছে, তাৰ অন্ত পৰিবৰ কিবা লক্ষণ দেখা গৈছেনে? যোৱা তেইশ বছৰত একেবাৰে হোৱা নাই — এই কথা নিশ্চয় ক'ব নোৱাৰি। কেইবছৰমানৰ আগতে শ্ৰীবেদ মেহতাৰ এটা প্ৰশ্নৰ উত্তৰত জৱাহৰলাল নেহৰুৱে কৈছিল — "স্বৰাজৰ ফলত ভাৰতৰ সাধাৰণ জনতাৰ জীৱনত এটা ডাঙৰ পৰিবৰ্তন দেখা দিছে, শিক্ষাৰ দ্ৰুত প্ৰসাৰ ঘটিছে আৰু ৰাইজে স্থানীয় স্বায়ত্ব শাসনৰ সুযোগ পাইছে। আজিকালি আগতকৈ লাখ লাখ বেছি ল'ৰা-ছোৱালী স্কুললৈ যায়। সেইদৰে পঞ্চায়তবোৰেও ভাৰতৰ গাঁওবোৰৰ জীৱনত নতুন যুগৰ সূচনা কৰিছে।" স্বাধীনতাৰ পিছত সৰ্বসাধাৰণ ৰাইজৰ মাজত যে শিক্ষাৰ দ্ৰুত প্ৰসাৰ হৈছে সেই কথা সঁচা; কিন্তু সি এতিয়াও সৰ্বব্যাপী অজ্ঞতা আৰু স্বাক্ষৰতাৰ প্ৰান্ত ভাগহে স্পৰ্শ কৰিছে, নিৰক্ষৰতা সম্পূৰ্ণৰূপে দূৰ হ'বলৈ এতিয়াও বহুত বাকী আছে। কিন্তু পঞ্চায়ত সম্পৰ্কে নেহেৰুৱে যি দাবী কৰিছিল সি প্ৰায় মিছা বুলি প্ৰমাণিত হৈছে। সঁচা কথা ক'বলৈ গ'লে পঞ্চায়তবোৰে গ্ৰামাঞ্চলতো এক নতুন শ্ৰেণীৰ ৰাজনৈতিক দালালৰ সৃষ্টি কৰিছে, আৰু সি ৰাজনৈতিক পুৰস্কাৰ বিতৰণ আৰু শোষণৰ নতুন এটা যন্ত্ৰত পৰিণত হৈছে। এই বিষয়ত শ্ৰীজয়প্ৰকাশ নাৰায়ণৰ এটা মন্তব্যৰ লগত দ্বিমত হ'বৰ উপায় নাই ঃ "তোমালোকে গাঁওবোৰ যি ৰূপত আছে সেই ৰূপতেই ৰাখি তেওঁলোকক পঞ্চায়ত কৰিবলৈ অধিকাৰ দিছা আৰু কেতবোৰ দায়িত্ব বহন কৰিবলৈ দিছা। এনেকুৱা গাঁৱত কি ঘটিব পাৰে? হয় গাঁৱৰ শক্তিশালী সম্প্ৰদায় বা মুখীয়াল পৰিয়াল কেইটাই নহয় গুণ্ডাবোৰে পঞ্চায়তবোৰ দখল কৰিব আৰু নিজৰ সুবিধাৰ কাৰণে সেইবোৰক ব্যৱহাৰ কৰিব। সেই কাৰণে গাঁওবোৰক গণতন্ত্ৰৰ মৌলিক গোট হিচাবে সৃষ্টি কৰাৰ আগতে সমাজত এটা বিপ্লৱ সৃষ্টি কৰাৰ প্ৰয়োজন আছে।"

ই এটা বাস্তৱ সত্য যে ভাৰতৰ সামাজিক জীৱনত তেনে এটা বিপ্লৱ আজিলৈকে সৃষ্টি হোৱা নাই বা সৃষ্টি কৰিবলৈ কোনেও চেষ্টাও কৰা নাই। ফলত স্বাধীনতাই যিবোৰ নতুন নতুন সা-সুবিধা আনি দিছে

সেইবোৰ ভোগ কৰিবলৈকো ভাৰতৰ পাঁচ লাখ গাঁৱৰ কোটি কোটি জনতাৰ এটা সামান্য অংশইহে সুবিধা পাইছে। শ্ৰীএম.এন. শ্ৰীনিবাস নামৰ এজন ভাৰতীয় সমাজ-তত্ত্ববিদে কৈছে ঃ "স্বাধীনতাৰ পিছত গাঁও অঞ্চলতো এটা নতুন শিক্ষিত আৰু বুদ্ধিমান শ্ৰেণী (Rural elite) ৰ সৃষ্টি হৈছে যিসকলে তেওঁলোকৰ সন্মুখত আহি পৰা ৰাজনৈতিক আৰু অৰ্থনৈতিক সুযোগবোৰৰ বিষয়ে সচেতন হৈ উঠিছে। নিজৰ স্বাৰ্থ-সিদ্ধিৰ কাৰণে এই সুযোগবোৰৰ ব্যৱহাৰ কৰিবলৈ তেওঁলোকে অকণো কুণ্ঠাবোধ নকৰে। এটা মৌলিক অন্তৰ্বিৰোধৰ কথা এইখিনিতে উল্লেখ কৰা প্ৰয়োজন। চৰকাৰী আঁচনিবোৰ কাৰ্য্যকৰী কৰোঁতে চৰকাৰী বিষয়াসকল সাধাৰণতে গাঁৱৰ মুখীয়াল শ্ৰেণীটোৰ দ্বাৰা পৰিচালিত হয়। কিন্তু এই কথা পাহৰি যোৱা যায় যে গাঁৱৰ মুখীয়াল শ্ৰেণী আৰু গাঁৱৰ দুখীয়া শ্ৰেণীৰ স্বাৰ্থৰ মাজত এটা ডাঙৰ মৌলিক সংঘৰ্ষ বিৰাজমান। গাঁৱৰ এই মুখীয়াল শ্ৰেণীটো আক্ৰমণমুখী, সম্পত্তিলোভী আৰু দুখীয়া শ্ৰেণীক শোষণ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ কোনো অপৰাধবোধ নাই। ভাৰতৰ গ্ৰামাঞ্চলত শ্ৰেণী বৈষম্য আৰু শোষণৰ মনোভাৱ এনেভাৱে বদ্ধমূল যে বিনাবাক্য-ব্যয়ে সকলোৱে সেই কথা সহজভাৱে মানি লয়। চহৰৰ ৰাজনীতিবিদ বা চৰকাৰী বিষয়া কোনেও গাঁৱৰ এই মুখীয়াল শ্ৰেণীৰ সহায় নোলোৱাকৈ একো কাম কৰিব নোৱাৰে আৰু মুখীয়াল শ্ৰেণীটোৱেও সেই কথা জানে।"

ৰাজনৈতিক নেতা আৰু চৰকাৰী বিষয়া কোনেও যদি গাঁৱৰ দৰিদ্ৰ আৰু দুৰ্বল শ্ৰেণীটোৰ অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে আগবাঢ়ি নাহে তেন্তে তেওঁলোকৰ মুক্তিৰ উপায় কি? কোনে তেওঁলোকৰ হৈ মাত মাতিব? আমাৰ দেশত সম্প্ৰতি যি ধৰণৰ গণতন্ত্ৰ চলিব ধৰিছে তাৰ যোগেদিও যে এই মানুহবোৰৰ মুক্তি আহিব নোৱাৰে এই কথা এজন বিদেশী পৰ্য্যবেক্ষকৰ চকুতো ধৰা পৰিছে। বিখ্যাত অৰ্থনীতিবিদ গুণাৰ মীৰ্‌ডালে কৈছে ঃ "যিকোনো চৰকাৰী কাৰ্য্য-ব্যৱস্থা ফলপ্ৰসূ হ'বলৈ হ'লে নিম্নতম স্তৰত অৰ্থাৎ গাঁৱত সি বলবৎ হ'ব লাগিব। কিন্তু দাৰিদ্ৰ্য, অজ্ঞতা আৰু জনসাধাৰণৰ উদাসীনতাৰ কাৰণে প্ৰকৃত ক্ষমতা নিয়ন্ত্ৰিত কৰে গাঁৱৰ খেতিয়ক, জমিদাৰ, বেপাৰী আৰু সুদখোৰ মহাজনসকলে। গাঁৱৰ ওপৰ মহলাৰ এই ক্ষুদ্ৰ অংশটোৱে সদায় দৃষ্টি ৰাখে যাতে যিবোৰ নীতি বা কাম-কাজ তেওঁলোকৰ স্বাৰ্থৰ অনুকূল নহয় সেইবোৰ যেন কেতিয়াও কাৰ্য্যকৰী কৰা নহয় আৰু কাৰ্য্যকৰী হ'লেও সেইবোৰ যাতে তেওঁলোকৰ স্বাৰ্থৰ অনুকূলে যায়। তদুপৰি গাঁওৰ এই মুখীয়াল শ্ৰেণীটোৱে যিহেতু ৰাজনৈতিক দালাল আৰু দৰিদ্ৰ অসংগঠিত জনতাৰ ভোটবোৰো তেওঁলোকেই নিয়ন্ত্ৰিত কৰে, সেই কাৰণে ৰাজনৈতিক নেতাসকলেও তেওঁলোকক জোকাবলৈ ভয় কৰে। গাঁৱৰ সৰ্বসাধাৰণ ৰাইজ যিহেতু অতিশয় বাধ্য আৰু সহজে সেও মনা বিধৰ, সেই কাৰণে পোনপটীয়াভাৱে কোনেও তেওঁলোকৰ কাষ নেচাপে। তেওঁলোকৰ ওপৰত খবৰদাৰী কৰা মুখীয়াল শ্ৰেণীটোক হাত কৰিব পাৰিলেই কাম হৈ যায়। যেতিয়ালৈকে ৰাজনৈতিক দলবোৰৰ গাঁৱৰ লগত প্ৰত্যক্ষ সংস্পৰ্শ থকা কৰ্মীৰ দল নাথাকে তেতিয়ালৈকে এনে ধৰণৰ ৰাজনৈতিক কাঠামো অপৰিহাৰ্য্য। ভাৰতৰ সকলো ৰাজনৈতিক দলৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য। আনকি কমিউনিষ্ট পাৰ্টিয়েও কেৰালাত সাম্প্ৰদায়িক ভেটিত সংগঠন কৰাৰ বাহিৰে আন কোনো ৰাজ্যতে গাঁও অঞ্চলত জনসংযোগ স্থাপন কৰিব পৰা নাই।

মুঠতে ভাৰতৰ ৰাজনীতি আৰু প্ৰশাসন সম্পূৰ্ণৰূপে চহৰমুখী। গাঁৱতো উন্নয়নৰ নামত এবিধ নতুন সুবিধাভোগী আৰু শোষক শ্ৰেণীৰ সৃষ্টি কৰা হৈছে আৰু তেওঁলোকেও বুৰ্জোৱা ৰাজনৈতিক দলবোৰৰ দালালৰ ভূমিকা লৈ গণতন্ত্ৰক শোষণৰ এটা যন্ত্ৰমাত্ৰ কৰি তুলিছে। গাঁৱত চিকিৎসালয় আছে কিন্তু ডাক্তৰ নাই, খেতিয়ক আছে মাটি নাই; শিক্ষিত ডেকা ওলাইছে কিন্তু কৰ্ম-সংস্থানৰ সুবিধা নাই। ফলত গাঁৱৰপৰা

প্ৰতিদিনে হাজাৰ হাজাৰ মানুহে কৰ্ম-সংস্থানৰ আশাত চহৰত গৈ ভিৰ কৰিছে আৰু চহৰবোৰক পুঞ্জীভূত ক্ৰোধ, হতাশা আৰু বিদ্ৰোহৰ উদ্‌গীৰণমুখী আগ্নেয়গিৰিত পৰিণত কৰিছে। ভাৰতত সম্প্ৰতি দেখা দিয়া ব্যাপক হিংসা-কাৰ্য্যৰ ইয়েই মূল কাৰণ। ভাৰতত সম্প্ৰতি যি ব্যাপক অস্থিৰতাই দেখা দিছে সি হ'ল এড্‌লাই ষ্টিভেনচন্‌ৰ ভাষাত ক'বলৈ গ'লে "A revolution of rising expectation -- নব-জাগ্ৰত প্ৰত্যাশাৰ বিপ্লব।" হাজাৰ বছৰ ধৰি ভাৰতৰ কোটি কোটি গাঁওবাসীয়ে শোষণ, অন্যায় আৰু দাৰিদ্ৰ্যকেই জীৱনৰ একমাত্ৰ বিধিলিপি বুলি মানি লৈছে। কিন্তু তেওঁলোক আজি নিজৰ নিজৰ অধিকাৰ সম্পৰ্কে সচেতন হৈ উঠিছে। এই অধিকাৰ যদি মানি লোৱা নহয় আৰু তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰা নহয়, তেন্তে আগ্নেয়গিৰি উদ্‌গীৰণ হ'বলৈ বেছিদিন নাই। আকাশে-বতাহে তাৰ পূৰ্বাভাস দেখা গৈছে। গাঁৱে-ভূঞে কেতবোৰ ৰাজনৈতিক দালালৰ সৃষ্টি কৰিয়েই বা গণতন্ত্ৰৰ প্ৰহসন কৰিয়েই এই Revolution of rising expectation বানৱ-জাগ্ৰত প্ৰত্যাশাৰ বিপ্লৱক দমন কৰি ৰাখিব পৰা নাযাব। ভাৰতবৰ্ষ এখন কৃষি-প্ৰধান দেশ আৰু ইয়াৰ শতকৰা নব্বৈজন মানুহেই বাস কৰে গাঁৱত। এই গাঁওবোৰত ৰাজনৈতিক শোষণৰ উপৰিও আছে যুগ যুগ সঞ্চিত জাতিভেদ প্ৰথাৰ গ্লানি। গতিকে ভাৰতৰ সমাজ-বিপ্লৱৰ পথ হ'ব লাগিব সুকীয়া। কোৱা বাহুল্য মাথোন যে এই বিপ্লৱৰ ভেটি বা শিবিৰ হ'ব লাগিব গাঁওবোৰ। ৰাজনৈতিক ক্ষমতা দখল কৰিব নোৱাৰিলে গাঁওবাসীৰ সন্মুখত পৰিত্ৰাণৰ কোনো পথ নাই। কিন্তু দেশত সম্প্ৰতি যি ভুৱা গণতন্ত্ৰ চলিব ধৰিছে সেই গণতন্ত্ৰৰ শামুকীয়া গতিৰে আৰু এশ বছৰতো গাঁৱৰ জৰাজীৰ্ণ অৱস্থা দূৰ হোৱাৰ কোনো আশা নাই। গতিকে গাঁৱে গা দাঙিবৰ হ'ল। এতিয়া দেশত সকলোবোৰ প্ৰগতিশীল ৰাজনৈতিক দল আৰু শিক্ষিত নতুন পুৰুষৰ সন্মুখত একমাত্ৰ কৰ্তব্য হ'ল ৰাজনৈতিক দালাল শ্ৰেণীটোৰ উচ্ছেদ সাধন কৰি ৰাজনৈতিক ক্ষমতা দখল কৰিবলৈ গাঁওবাসীক জাগ্ৰত আৰু সংগঠিত কৰি তোলা। সেই কাম কেনেকৈ কৰা যায় অতি সোনকালেই সেই প্ৰশ্নৰ মীমাংসা কৰিব লাগিব। আমাৰ হাতত বেছি সময় নাই।

সাপ্তাহিক নীলাচল, ১১৮ সংখ্যা ঃ ৩ ফেব্রুৱাৰী, ১৯৭১

বিশ্ববিদ্যালয় কেম্পাচত বিদ্ৰোহ

সদৌ অসমৰ সমূহ ছাত্ৰ সমাজৰ পূৰ্ণ সমৰ্থনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে তেওঁলোকৰ ছয়দফীয়া দাবী পূৰণৰ অৰ্থে আৰম্ভ কৰা পিকেটিং, ধৰ্মঘট আৰু অনশন যোৱা ২৯ জানুৱাৰী তাৰিখে সামৰণি পৰিছে যদিও বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মৌলিক সমস্যা সম্পৰ্কে খৰচি মাৰি আলোচনা কৰাৰ প্ৰয়োজন আছে।

প্ৰথমেই এটা কথা স্পষ্টভাৱে কৈ লোৱা দৰকাৰ যে ছাত্ৰসকলৰ প্ৰতিটো দাবীয়েই অখণ্ডনীয় যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত আৰু কৰ্তৃপক্ষৰ প্ৰতিটো উত্তৰেই যুক্তিহীন— এনে এটা ধাৰণাক আমি প্ৰশ্ৰয় দিব নোখোজোঁ। আমি বিশ্বাস কৰোঁ যে প্ৰতিটো দাবী আৰু প্ৰতিটো সমস্যাকেই যুক্তিৰ কষটি-শিলেৰে বিচাৰ কৰি চোৱা উচিত। সেইখিনি এৰা-ধৰা কৰাৰ পাচতো আমাৰ ধাৰণা হৈছে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ বৰ্তমানৰ আন্দোলন এনে কেইটামান মৌলিক দাবীৰ ওপৰত প্ৰতিষ্ঠিত— যিবোৰ দাবীয়ে সমাজৰ মনোযোগ আকৰ্ষণ আৰু নৈতিক সমৰ্থন লাভ কৰা উচিত।

বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ ঘাই দাবীকেইটা হ'ল এইঃ— (১) বিশ্ববিদ্যালয়ৰ প্ৰশাসনত ছাত্ৰসকলক অংশ ল'বলৈ সুবিধা দিব লাগে; (২) শ্ৰেণীত বাধ্যতামূলক উপস্থিতিৰ নিয়ম উঠাই দিব লাগে; (৩) শতকৰা ৫০ তকৈ কম নম্বৰ পোৱা এম. এ. বা এম. এচ. চি. পাছ কৰা ল'ৰাক কলেজৰ শিক্ষক নিযুক্ত কৰিব নালাগে বুলি বিশ্ববিদ্যালয়ে কিছুদিনৰ আগতে যি নিৰ্দেশ জাৰী কৰিছে সেই নিৰ্দেশ প্ৰত্যাহাৰ কৰিব লাগে; আৰু (৪) বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ বিভিন্ন দুৰ্নীতি আৰু বেমেজালিৰ বিৰুদ্ধে তদন্ত হ'ব লাগে।

বিশ্ববিদ্যালয়ৰ প্ৰশাসনত ছাত্ৰক অংশ গ্ৰহণ কৰিবলৈ সুবিধা দিব লাগে বুলি অসমত আমিয়েই সৰ্বপ্ৰথম আমাৰ কাকতৰ যোগেদি দাবী কৰিছিলোঁ (সাপ্তাহিক নীলাচলৰ সম্পাদকীয় প্ৰবন্ধ ঃ ২৫ ডিচেম্বৰ, ১৯৬৮ চন)। পাচত যোৱা এবছৰ কাল ধৰি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষয়ো এই কথা চিন্তা কৰি চাইছে, কিন্তু এই প্ৰস্তাৱক কাৰ্য্যকৰী কৰিবলৈ তেওঁলোকৰ কোনো আন্তৰিক আগ্ৰহ পৰিলক্ষিত হোৱা নাই। মনত ৰখা উচিত যে ই এটা বিশ্ব-ব্ৰহ্মাণ্ডত ক'তো কেতিয়াও নোহোৱা নাভুত-নাশ্ৰুত দাবী নহয়। চোভিয়েট ৰাছিয়াৰ যি শিক্ষা-ব্যৱস্থাক আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ড আদি দেশেও ঈৰ্ষা কৰে, সেই শিক্ষা ব্যৱস্থাতো উচ্চতম শিক্ষানুষ্ঠানৰ প্ৰশাসন ব্যৱস্থাত ছাত্ৰক অংশ ল'বলৈ সুবিধা দিয়া হয়। সেই দেশত "ছাত্ৰৰ প্ৰতিনিধিয়ে পণ্ডিত-পৰিষদ আৰু নাম-ভৰ্ত্তিৰ কমিচনৰ কাম-কাজত অংশ গ্ৰহণ কৰে; ছাত্ৰৰ দ্বাৰা গঠিত কমিচনেই বৃত্তি মঞ্জুৰ কৰে; স্নাতকসকলৰ কৰ্মসংস্থান বা নিযুক্তিৰ ক্ষেত্ৰতো ছাত্ৰ অনুষ্ঠানবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে; কেইবাখনো ৰাজ্যিক বিশ্ববিদ্যালয় আৰু শিক্ষানুষ্ঠানৰ বিভিন্ন বিভাগত ছাত্ৰৰ দ্বাৰা গঠিত এনে কিছুমান কমিচন আছে— যিবোৰ শিক্ষা সম্পৰ্কীয় আঁচনিৰ উন্নতি সাধনৰ কাৰণে সক্ৰিয়ভাৱে কাম কৰে; ডেকা-গাভৰু, ছাত্ৰ-ছাত্ৰীসকলে কেৱল যে অধ্যয়নেই কৰে এনে নহয়, কৰ্তৃপক্ষৰ লগত সমানে খোজ মিলাই তেওঁলোকে নিজৰ বিশ্ববিদ্যালয়ৰ পৰিচালনা কাৰ্য্যতো সমানে অংশ গ্ৰহণ কৰে" (Education in the USSR)। .... পৃথিৱীৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আজি এনে ধৰণৰ অংশ গ্ৰহণৰ অধিকাৰ

দাবী কৰিছে আৰু বহুতে সেই অধিকাৰ আদায়ো কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ এই দাবীকো বেছিদিন বাধা দি ৰাখিব পৰা নাযাব। আমাৰ মনত অকণো সন্দেহ নাই যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই এই বিষয়ত আৰম্ভণিৰে পৰাই আন্তৰিক আগ্ৰহ দেখুওৱা হ'লে আজি ই ছাত্ৰ আন্দোলনৰ অন্যতম দাবীত পৰিণত নহ'লহেঁতেন।

দ্বিতীয়টো দাবী— অৰ্থাৎ শ্ৰেণীত বাধ্যতামূলক উপস্থিতিৰ বিষয়ে ৰাধাকৃষ্ণণ আয়োগেই পৰামৰ্শ দি থৈছে যে এই বিষয়ত কোনো বাধ্য-বাধকতা থাকিব নালাগে। ৰাধাকৃষ্ণণ আয়োগৰ পৰামৰ্শৰ মূল উদ্দেশ্য কি, সেই কথা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ বা অধ্যাপকসকলে নজনা নহয়। তদুপৰি কেৱল এটা যান্ত্ৰিক নিয়মৰ দ্বাৰাই ছাত্ৰক শ্ৰেণীত উপস্থিত থাকিবলৈ বাধ্য কৰাৰ চেষ্টা কেৱল হাস্যকৰেই নহয়, উচ্চতৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ কেন্দ্ৰ এটাত শিক্ষাৰ মূল উদ্দেশ্যৰ ফালৰ পৰাও ই সম্পূৰ্ণৰূপে অৰ্থহীন। নিয়মৰ শিকলিৰে ছাত্ৰসকলক শ্ৰেণীত বান্ধি ৰাখিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে শিক্ষকসকলে নিজৰ পাণ্ডিত্য আৰু শিক্ষাদান-কৌশলৰ অপ্ৰতিৰোধ্য চুম্বক শক্তিৰেহে ছাত্ৰক শ্ৰেণীলৈ টানি অনাটো সকলোৱে বাঞ্ছা কৰে। বহুতো শিক্ষকে এই কথা জানি মনত নিশ্চয় ৰূঢ় আঘাত পাব যে ছাত্ৰসকলে তেওঁলোকৰ শ্ৰেণীত উপস্থিত থকাটো কেৱল সময়ৰ অপচয় আৰু মানসিক নিপীড়ন বুলিহে অনুভৱ কৰে। যথেষ্ট সংখ্যক ছাত্ৰৰ পৰা আমি এই অভিযোগ শুনিবলৈ পাইছোঁ যে কেইজনমান শিক্ষকে বিভিন্ন অজুহাতত দিনৰ পাচত দিন ক্লাছ নোলোৱাকৈ থাকি হঠাৎ একোদিনে হাতী মাৰি ভুৰুকাত ভৰাবলৈ চেষ্টা কৰে। এনে শিক্ষকৰ প্ৰতি ছাত্ৰৰ মনোভাৱ কেনে হ'ব পাৰে সি সহজেই অনুমেয়। মুঠতে বিশ্ববিদ্যালয়ৰ দৰে উচ্চতৰ শিক্ষানুষ্ঠান এটাত ছাত্ৰই শ্ৰেণীত উপস্থিত থকাৰ বাধ্য-বাধকতা যুক্তিৰ দ্বাৰা সমৰ্থনযোগ্য নহয়। তাৰ পৰিবৰ্তে টিউটৰিয়েল আৰু চেমিনাৰ আদিৰ সংখ্যা বৃদ্ধি কৰি ছাত্ৰ আৰু শিক্ষকৰ মাজত ঘনিষ্ঠতৰ সম্পৰ্ক স্থাপিত হ'বলৈ সুবিধা দিয়াটোহে অধিক বাঞ্ছনীয়। শিক্ষকৰ ভূমিকা সম্পৰ্কে দুহাজাৰ বছৰ আগতেই এৰিষ্টটলে যি কথা কৈ গৈছিল, তাৰ সংশোধন কৰিবৰ প্ৰয়োজন এতিয়াও দেখা দিয়া নাই। এৰিষ্টটলে কৈছিল যে শিক্ষকৰ ভূমিকা ধাই বা মিড্‌ৱাইফৰ ভূমিকাৰ লগতহে তুলনীয়। ধায়ে যেনেকৈ নিজে সন্তান জন্ম নিদিয়ে, কিন্তু আনৰ সন্তান-জন্মত সহায়হে কৰে, শিক্ষকেও তেনেকৈ কোনো ছাত্ৰৰ মনত মৌলিক ধ্যান-ধাৰণা বা চিন্তাশীলতা সৃষ্টি কৰিব নোৱাৰে, সেইখিনিৰ বিকাশ হোৱাত সহায়হে কৰিব পাৰে। ইয়াকে কৰিবৰ কাৰণে ছাত্ৰ আৰু শিক্ষকৰ মাজত ঘনিষ্ঠতম সম্পৰ্ক থকাটো প্ৰয়োজন— যাৰ কাৰণে ৰাজহুৱা সভাৰ দৰে বৃহদাকাৰ সাধাৰণ শ্ৰেণীতকৈ টিউটৰিয়েল আৰু চেমিনাৰৰ ঘনিষ্ঠ পৰিৱেশ অধিক অনুকূল।

শতকৰা ৫০ তকৈও কম নম্বৰ পালেও কলেজ শিক্ষকৰ পদ পাব লাগে বুলি ছাত্ৰসকলে যি দাবী কৰিছে সি যুক্তিৰ দ্বাৰা সমৰ্থনযোগ্য নহয়। আনক্ষেত্ৰত যিয়েই নহওক লাগিলে শিক্ষাৰ ক্ষেত্ৰত বেচি নম্বৰ পোৱা সৰ্বোত্তম মানুহৰহে দৰ্কাৰ। অৱশ্যে পৰীক্ষাত বেচি নম্বৰ পালেই তেনে মানুহ বেচি ভাল শিক্ষক হ'ব পাৰেনে নোৱাৰে সেই বিষয়তো বিতৰ্কৰ অৱকাশ আছে। কিন্তু শিক্ষক নিৰ্বাচনৰ কাৰণে এটা সাধাৰণ মাপকাঠিৰ দৰ্কাৰ আৰু পৰীক্ষাৰ ফলাফলৰ বাহিৰে নিৰ্ভৰযোগ্য মাপকাঠিও সদ্যহতে নাই। আনহাতে এই সম্পৰ্কত ছাত্ৰৰ দুঃচিন্তাকো অস্বীকাৰ কৰা অসম্ভৱ। বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰি থকা প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীকে আজি যি ভয় আৰু দুঃচিন্তাই খুলি খুলি খাই মাৰিছে— সি হ'ল ভবিষ্যৎ জীৱনত কৰ্ম সংস্থাপনৰ অনিশ্চয়তা। তেওঁলোকৰ এই দুঃচিন্তা দূৰীভূত কৰিবলৈ বিশ্ববিদ্যালয়ৰ কোনো নিয়মতান্ত্ৰিক দায়িত্ব নাথাকিব পাৰে, কিন্তু এটা নৈতিক দায়িত্বৰ পৰা ই নিজকে কেতিয়াও মুক্ত কৰিব নোৱাৰে। পৃথিৱীৰ

সকলো যাবতীয় চাকৰি পাবৰ কাৰণে স্নাতক হ'লেই যথেষ্ট; অতিৰিক্ত অৰ্থ আৰু সময় ব্যয় কৰি যিসকলে স্নাতকোত্তৰ শিক্ষাৰ কাৰণে আগবাঢ়ে, তেওঁলোকৰ প্ৰাথমিক উদ্দেশ্য নিশ্চয় শিক্ষক, গৱেষক আৰু পণ্ডিত হোৱা। এম. এ. বা এম. এচচি. পাচ কৰাৰ পিছতো যদি একোজন ল'ৰাই নিৰ্দিষ্ট পৰিমাণৰ নম্বৰ নোপোৱাৰ কাৰণেই কলেজ শিক্ষকতা কৰাৰ সুবিধাৰ পৰা বঞ্চিত হয়, তেন্তে তেওঁৰ কাৰণে এম. এ. বা এম. এচচি. ডিগ্ৰীৰ নিশ্চয় কোনো মূল্য থাকিব নোৱাৰে। এনে অৱস্থাত বিশ্ববিদ্যালয়ে হয় সকলোবোৰ স্নাতকোত্তৰ উপাধি পোৱা ল'ৰা-ছোৱালীকো কলেজৰ শিক্ষক পদৰ কাৰণে উপযোগী বুলি গণ্য কৰিব লাগিব, নহ'লেবা এম. এ., এম. এচচি. পাচ কৰিবৰ কাৰণে ন্যূন্যতম ৫০ নম্বৰ পাব লাগিব বুলি নিয়ম কৰিব লাগিব। শিক্ষিত নিবনুৱাৰ সমস্যা এটা জটিল সমস্যা। বিশ্ববিদ্যালয়ৰ নিৰাপদ গজদন্ত মিনাৰত বাস কৰি যিসকল লোকে এই বিস্ফোৰক সমস্যাৰ প্ৰতি কোনো সচেতনতা দেখুৱাব নোখোজে বা বিভিন্ন নীতি-নিয়ম ৰচনা কৰোঁতে ছাত্ৰসকলৰ প্ৰতি থকা নৈতিক দায়িত্বৰ কথাও পাহৰি থাকে, তেওঁলোকক সেই দায়িত্বৰ কথা স্মৰণ কৰি দিবলৈ ছাত্ৰসকলে প্ৰচণ্ডভাৱে চিঞৰ-বাখৰ কৰাৰ নিশ্চয় প্ৰয়োজন আছে।

এইবোৰ দাবীৰ উপৰিও ছাত্ৰসকলে বিশ্ববিদ্যালয়ৰ নানা দুৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে তদন্ত আয়োগৰ দাবী কৰিছে। এইখিনিতেই এটা অতি মনকৰিবলগীয়া কথা এই যে এইবাৰ বিশ্ববিদ্যালয়ৰ শিক্ষক সন্থায়ো এনে এটা তদন্ত আয়োগৰ দাবী কৰিছে। ৰাইজৰ নিশ্চয় এই কথা মনত আছে যে ১৯৬২ চনতো গুৱাহাটী বিশ্ববিদ্যালয়ৰ নানা কেলেংকাৰীৰ বিৰুদ্ধে ছাত্ৰসকলৰ এটা প্ৰচণ্ড বিস্ফোৰণে বিশ্ববিদ্যালয়ৰ ভেটি থৰথৰকৈ কঁপাই তুলিছিল আৰু এটা তদন্ত আয়োগ পাতিবলৈ কৰ্তৃপক্ষক বাধ্য কৰিছিল। সেই তদন্ত আয়োগৰ সদস্য-সচিবজনেই সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। আচৰিত কথা এই যে বৰ্তমানৰ উপাচাৰ্য্যজনে ১৯৬২ চনৰ তদন্ত আয়োগৰ সচিব হিচাবে বিশ্ববিদ্যালয়ৰ যিবোৰ কেলেংকাৰীৰ উদ্‌ঘাটন কৰি দিছিল, তেওঁ নিজে উপাচাৰ্য্য হোৱাৰ পিচত সেইবোৰ কেলেংকাৰী দূৰৰ কথা দিনে দিনে তাতকৈ অধিক কেলেংকাৰীহে হৈছে বুলিহে অভিযোগ উঠিছে। সকলোবোৰ অনিয়ম আৰু দুৰ্নীতিৰ কাৰণে যিবোৰ বিষয়া আৰু শিক্ষকক তেওঁৰ দ্বাৰা ৰচিত প্ৰতিবেদনে দোষী সাব্যস্ত কৰিছিল, তেওঁ নিজে উপাচাৰ্য হোৱাৰ পিচত সেইসকল লোকৰ শাস্তি হোৱা দূৰৰ কথা বহুতৰ ক্ষমতা আৰু পদমৰ্য্যদা বৃদ্ধি হোৱা বুলিহে অভিযোগ উঠিছে। এইবোৰ অনিয়ম আৰু দুৰ্নীতিৰ প্ৰতিকাৰৰ কাৰণে তেওঁৰ দ্বাৰা ৰচিত প্ৰতিবেদনে যিবোৰ পৰামৰ্শ দাঙি ধৰিছিল তেওঁ উপাচাৰ্য্য হোৱাৰ পিচত সেইবোৰ পৰামৰ্শ ধোঁৱা চাঙতহে তুলি থোৱা হ'ল বুলি অভিযোগ উঠিছে। বৰ্তমানৰ উপাচাৰ্য্যজনে ১৯৬২ চনত তদন্ত আয়োগৰ প্ৰতিবেদনত নিজে লিখিছিল— A Public institution like the University could not command there respect of the enlightened people of the state without such a clear contradiction. বৰ্তমান উপাচাৰ্য্যজনৰ কালচোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে যিভাৱে দুৰ্নীতিৰ অভিযোগ পুঞ্জীভূত হ'ব ধৰিছে আৰু ছাত্ৰ-শিক্ষকৰ সকলো অসন্তোষ বৃদ্ধি পাব ধৰিছে— তাৰ পৰা আমি এই কথাই অনুমান কৰিব পাৰিম নেকি যে তদন্তকাৰী হিচাবে তেওঁ বিশ্ববিদ্যালয়ৰ কাৰণে সুধী সমাজৰ যি শ্ৰদ্ধাৰ প্ৰয়োজন অনুভৱ কৰিছিল, উপাচাৰ্য্যৰ দায়িত্ব পোৱাৰ পিচত সেই শ্ৰদ্ধা নিতান্তই অৰ্থহীন আৰু অদৰকাৰী বুলি তেওঁৰ মনত অনুভূত হ'ল? আমি যিসকল লোকে মাজে মাজে বাতৰি কাকতৰ যোগেদি বিশ্ববিদ্যালয়ৰ অনীতি-অনিয়মৰ বিৰুদ্ধে মাত মাতো, তেওঁলোকৰ বিষয়ে বিশ্ববিদ্যালয়ৰ কোনো ৰৱমুৰীয়াই বোলে মন্তব্য কৰে যে এনেবোৰ Frustrated অৰ্থাৎ হতাশগ্ৰস্ত লোকৰ কথাত তেওঁলোকে কণা-কড়ি এটাও মূল্য দিব নোখোজে। এই সুযোগতে আমি এটা কথা পৰিষ্কাৰ কৰি

দিব খোজো। আমি হতাশগ্রস্ত ঠিকেই, কিন্তু আমাৰ হতাশাৰ কাৰণ এয়েই নহয় যে আমি ইটোৰ পিচত সিটো ডাঙৰ চাকৰি পোৱা নাই বা বিভিন্ন উপায়েৰে ধন ঘটিবলৈ সুবিধা পোৱা নাই। আমাৰ হতাশাৰ কাৰণ একমাত্ৰ এয়েই যে অপৰাধী আৰু সমাজৰ শত্ৰুবোৰক শাস্তি দিয়াবলৈ আমি সমাজক বাধ্য কৰিব পৰা নাই আৰু অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে আমি সমাজক সচেতন কৰি তুলিব পৰা নাই। লগতে আমি এই কথাও যোগ দিব খোজো যে আমাৰ দৰে হতাশগ্ৰস্ত লোকসকলৰ কথাত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই সময়মতে কাণ দিয়া হ'লে আজি তেওঁলোকে প্ৰচণ্ড ছাত্ৰ বিক্ষোভৰ সন্মুখীন হ'ব লগা নহ'লহেঁতেন— কাৰণ ১৯৬৮ চনৰ ২৫ ডিচেম্বৰতেই যেনেকৈ আমি বিশ্ববিদ্যালয়ৰ প্ৰশাসনত ছাত্ৰৰ অংশ গ্ৰহণৰ চুপাৰিচ কৰিছিলো, তেনেকৈ ১৯৬৮ চনৰ ২৭ নবেম্বৰ তাৰিখে— 'গুৱাহাটী বিশ্ববিদ্যালয' শীৰ্ষক সম্পাদকীয় প্ৰবন্ধত তদন্ত আয়োগৰ প্ৰতিবেদনৰ পৰামৰ্শ সমূহ সম্পূৰ্ণ কাৰ্য্যকৰী কৰিবৰ কাৰণে দাবী কৰিছিলো।

বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকসকলে আজি দ্বিতীয় এটা তদন্ত আয়োগৰ দাবী কৰিছে। কিন্তু যি স্থলত ১৯৬২ চনত তদন্ত আয়োগৰ প্ৰতিবেদনেই আজিলৈকে কাৰ্য্যকৰী হোৱা নাই, তেনে স্থলত নতুন এটা তদন্ত আয়োগ পাতিলেই বিশ্ববিদ্যালয়ৰ সকলো জঞ্জাল চুকি হ'ব বুলি কোনোবাই আশা কৰিব পাৰেনে? অভিজ্ঞতাৰ পৰা দেখা গৈছে যে এনে ধৰণৰ তদন্ত-আয়োগবোৰ বেমাৰ আৰোগ্য কৰিবৰ কাৰণে ব্যৱহাৰ নকৰি বেমাৰ হেঁচা মাৰি দমাই ৰাখিবৰ কাৰণেহে ব্যৱহাৰ কৰা হয়। গতিকে আন্দোলনকাৰী ছাত্ৰসকলে এইবাৰ কেবল তদন্ত-আয়োগ দাবী কৰাতে ক্ষান্ত নাথাকি আয়োগৰ সিদ্ধান্তসমূহ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত কাৰ্য্যকৰী কৰিব লাগিব বুলিও লিখিত প্ৰতিশ্ৰুতি আদায় কৰা উচিত।

বিশ্ববিদ্যালয়ৰ বহুতো সমস্যাৰ ভিতৰত এটা প্ৰধান সমস্যা হ'ল উপযুক্ত পৰিচালকৰ অভাৱ। এটা ডাঙৰ কাৰখানা বা এটা ডাঙৰ অফিচ যেনেকৈ চলাব পাৰি, এটা বিশ্ববিদ্যালয় তেনেকৈ চলাব নোৱাৰি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা ডাঙৰ বেমাৰ হ'ল অতিমাত্ৰাই বুৰোক্ৰেটাইজেচন্ বা আমোলা-তান্ত্ৰিক মনোবৃত্তি আৰু কাৰ্য্য-পদ্ধতিৰ প্ৰাধান্য। এই বিশ্ববিদ্যালয়ত শিক্ষকৰ ওপৰতো আমোলাই খবৰদাৰী কৰে, পাঁচটা টকা খৰচ কৰিবলৈকো শিক্ষকে আমোলাৰ হুকুম ল'ব লাগে। এই অৱস্থাৰ অৱসান হোৱাৰ দৰকাৰ। মানসিক দৃষ্টিভংগী আৰু অভিজ্ঞতা— দুয়োটা ফালৰ পৰা উপযুক্ত লোকক বিশ্ববিদ্যালয়ৰ পৰিচালনাৰ দায়িত্ব দিলেহে বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ অৱস্থাৰ সলনি হ'ব বুলি আশা কৰিব পাৰি।

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীৰ মুখ্যমন্ত্ৰীত্বৰ প্ৰথম এশটা দিন

দুই এদিনৰ ভিতৰতে শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়ে অসমৰ চতুৰ্থ মুখ্যমন্ত্ৰী হিচাবে এশ দিন পূৰ কৰিব। মাত্ৰ এশ দিনৰ ভিতৰতে মুখ্যমন্ত্ৰী এজনৰ কাম-কাজৰ খতিয়ান লোৱাটো বহুতৰে কাৰণে আঁচৰুৱা যেন লাগিব পাৰে। খতিয়ান লোৱাটো বা কোনো ধৰণৰ ৰায় দিয়াটো আমাৰ উদ্দেশ্যও নহয়। কিন্তু যি মূলা বাঢ়ে তাৰ দুপাততে চিন হৈ উঠাৰ দৰে ৰাজহুৱা প্ৰশাসনৰ নেতৃত্বত থকা মানুহ এজনৰ প্ৰথম এমাহ-দুমাহৰ কাম-কাজৰ গতি-বিধি চায়েই তেওঁৰ লক্ষ্যৰ বিষয়ে নিশ্চয় কিছু কথা অনুমান কৰিব পাৰি। অসমৰ মুখ্যমন্ত্ৰীজনৰ লক্ষ্যটোনো কি সেই বিষয়ে ৰাইজেও চিন্তা কৰি চোৱাৰ প্ৰয়োজন হৈ পৰিছে। তৃতীয়তে, একোটা জাতিৰ জীৱনৰ বিশেষ একোটা সঙ্কটপূৰ্ণ মুহূৰ্তত যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰাৰ প্ৰয়োজন হৈ পৰে। অসম তথা ভাৰতৰ কোটি কোটি মানুহৰ শোষিত আৰু দৰিদ্ৰ জনতাই আজি এক নতুন আৰু উন্নততৰ জীৱনৰ সোৱাদ পাবৰ কাৰণে উদ্‌বাউল হৈ উঠিছে। এনে এটা সময়ত এক মুহূৰ্তৰ অপচয়ো তেওঁলোকৰ সহ্য নহয়। জনতাই নতুন জীৱনৰ কাৰণে যি অস্থিৰতা আৰু ব্যাকুলতা অনুভৱ কৰিছে, নেতাসকলৰ কাম-কাজ আৰু আচৰণতো সেই অস্থিৰতা প্ৰতিভাত হোৱা দেখা পাবলৈ ৰাইজে আশা কৰে। যি নেতাই সেইখিনি অস্থিৰতা দেখুৱাব নোৱাৰে, তেওঁৰ জনতাৰ প্ৰাণ-স্পন্দনৰ লগত কোনো সম্বন্ধ নাই বুলিয়েই প্ৰমাণিত হ'ব। অসমৰ মুখ্যমন্ত্ৰী শ্ৰীচৌধুৰীয়ে নিজৰ কাৰ্য্যকালৰ প্ৰথম এশটা দিনত এনে সম্পৰ্ক থকাৰ প্ৰমাণ কিমানখিনি দেখুৱাইছে— সেই কথা বিচাৰ কৰি চোৱাৰ সময় আহি পৰিছে।

ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰীচলিহাৰ দীৰ্ঘদিনৰ অসুস্থতাৰ ফলত প্ৰশাসনৰ গতিবেগ বহুখিনি শিথিল হৈ পৰিছিল, আৰু চৰকাৰৰ অৱস্থাও হৈ পৰিছিল গুৰিয়াল নোহোৱা দিক্‌ভ্ৰষ্ট নাৱৰ নিচিনা। শ্ৰীচৌধুৰীৰ নেতৃত্বত নতুন চৰকাৰ গঠিত হোৱাৰ পাচত ৰাইজে যিটো বস্তু প্ৰথমে দেখিবলৈ আশা কৰিছিল, সেইটো হৈছে প্ৰশাসনৰ ক্ষেত্ৰত নতুন গতি আৰু উদ্যম, এশ এবুৰি সমস্যা সমাধানৰ কাৰণে ন ন প্ৰচেষ্টা, ৰাইজৰ উন্নতি আৰু সুখ-সুবিধাৰ কাৰণে ন ন আঁচনিৰ ঘোষণা। কিন্তু এইবোৰৰ পৰিবৰ্তে ৰাইজে দিনৰ পাচত দিন বাতৰি কাকতত পঢ়িবলৈ পালে কেৱল অজস্ৰ সভা-সমিতিত নতুন মুখ্যমন্ত্ৰীৰ সম্বৰ্ধনাৰ সীমাহীন ধাৰা-বিৱৰণি। মুখ্যমন্ত্ৰীৰ পদাঙ্ক অনুসৰণ কৰিয়েই বাকীবোৰ মন্ত্ৰী, পালি-মন্ত্ৰীয়েও ৰাজ-ভৱনত শপত খায়েই এক মুহূৰ্তও বিলম্ব নকৰি নিজ নিজ অঞ্চলত ফুলৰ মালা পিন্ধিবলৈ আৰু স্তৱ-বাক্য শুনিবলৈ ঢাপলি মেলিলে। এই ৰমনোদ্ৰেককাৰী সম্বৰ্ধনাবোৰৰ আজিও অন্ত পৰা নাই। স্বীকাৰ কৰোঁ যে জন-সংযোগৰ কাৰণে মন্ত্ৰীসকলে এনেভাৱে ৰাইজৰ মাজলৈ যোৱাৰ প্ৰয়োজন আছে। কিন্তু মন্ত্ৰীৰ সম্বৰ্দ্ধনাৰ কাৰণে হঠাতে অতি-মাত্ৰাই সক্ৰিয় হৈ পৰা লোকসকলে প্ৰকৃততে জনসাধাৰণক প্ৰতিনিধিত্ব কৰেনে? ভাৰতবৰ্ষত ৰাজনৈতিক নেতাসকলৰ জন-সংযোগৰ আচল স্বৰূপটো কেনেকুৱা সেই বিষয়ে সাপ্তাহিক নীলাচলৰ 'অসমৰ গ্ৰাম্য-জীৱন' বিশেষ সংখ্যাৰ সম্পাদকীয় প্ৰবন্ধতেই আমি খৰচি মাৰি আলোচনা কৰিছোঁ। আমি পুনৰ ন দি ক'ব খোজো যে জনসংযোগৰ এই পথ শুদ্ধ পথ নহয়। নিত্য-ব্যৱহাৰ্য্য বয়-বস্তুৰ চৰা দামৰ বলে নোৱাৰা বোজা, চিকিৎসাৰ অভাৱ, কৰ্ম-সংস্থানৰ অভাৱ, খেতিৰ মাটিৰ অভাৱ, দাৰিদ্ৰ্য, শোষণ, প্ৰশাসনীয় দুৰ্নীতি— ইত্যাদি হাজাৰটা অভাৱ আৰু সমস্যাই লাখ

লাখ মানুহক পঙ্গু কৰি ৰাখিছে সেই মানুহবোৰে মন্ত্ৰীৰ সম্বৰ্দ্ধনা-সভালৈ কেতিয়াও নাহে বা আহিব নোৱাৰে; সেই মানুহবোৰৰ দুৰ্বল কণ্ঠস্বৰে চতুৰ স্তাবকৰ দলৰ ভোজ-ভাতৰ কোলাহল ভেদ কৰি কেতিয়াও মন্ত্ৰীৰ কাণ স্পৰ্শ কৰিব নোৱাৰে। তেওঁলোকৰ চকুত মন্ত্ৰীৰ এই অন্তহীন সম্বৰ্দ্ধনা-উৎসব এক নিৰ্মম ঠাট্টাৰ বাহিৰে আন একো নহয়। অথচ শ্ৰীচৌধুৰীৰ মুখ্যমন্ত্ৰীত্বৰ প্ৰথম এশটা দিন ঘাইকৈ এই ভোজ-ভাতৰ কোলাহলেৰেই পৰিপূৰ্ণ।

এই কথা সকলোৱে জানে যে যোৱা দুবছৰমান ধৰি অসমৰ আমোলাতন্ত্ৰটো হৈ পৰিছিল স্বেচ্ছাচাৰী আৰু দুৰ্বিনীত। তাৰ কাৰণে কেৱল আমোলাসকলকেই দোষ দি লাভ নাই। সুযোগ্য আৰু সুদৃঢ় ৰাজনৈতিক নেতৃত্বৰ অভাৱেই তেওঁলোকক তেনেকুৱা কৰি ৰাখিছে। সকলোৱেই আশা কৰিছিল যে অভিজ্ঞ প্ৰশাসক শ্ৰীচৌধুৰীয়ে মুখ্যমন্ত্ৰীৰ ভাৰ লৈয়ে সোলোক-ঢোলোক হৈ পৰা প্ৰশাসন-যন্ত্ৰটোক কিছু মেৰামতি কৰিবলৈ যত্ন কৰিব। কিন্তু ৰাইজে দেখি তবধ মানিছে— তেওঁৰ সেইফালে কাণসাৰেই নাই। সপ্তাহটোৰ পাঁচটা দিনেই তেওঁ অসম-বাসীৰ বাহিৰত। অথচ তেওঁৰ কান্ধত পোন্ধৰটা মান প্ৰধান প্ৰধান প্ৰশাসনীয় বিভাগৰ বোজা। সপ্তাহটোত পাঁচটা দিনেই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ টলৌ টলৌকৈ ঘূৰি ফুৰি কেৱল ৰাতি শুবলৈ যোৱাৰ আগৰ এঘণ্টামান সময়তেই যদি অসমৰ দৰে সমস্যা-কণ্টকিত ৰাজ্য এখনৰ প্ৰশাসন যন্ত্ৰটো চলাই থাকিব পাৰি, তেন্তে হয় ৰাজ্য-পৰিচালনা এটা ল'ৰা-ধেমালি বা অৱসৰ-বিনোদন-জাতীয় কাম, অথবা আমাৰ মন্ত্ৰীসকল অতিমানৱ। কিন্তু এই দুয়োটা কথাই সঁচা বুলি মানি ল'বলৈ আমি টান পাইছোঁ। জন-সংযোগ ৰক্ষা কৰাই আমাৰ মন্ত্ৰীসকলৰ ঘাই কাম নহয়, তেওঁলোকৰ আচল কাম প্ৰশাসন-ব্যৱস্থা পৰিচালনা কৰা আৰু ৰাইজৰ উন্নতিৰ কাৰণে নতুন নতুন নীতি আৰু কাৰ্য্য-ব্যৱস্থা উদ্ভাৱন কৰাহে। এই দুয়োটা কামত অখণ্ড চিন্তা, পৰিশ্ৰম আৰু অধ্যয়ন প্ৰয়োজন। ভ্ৰমণ-ক্লান্ত আৰু ভোজন-শ্ৰান্ত মন্ত্ৰীয়ে এনে চিন্তা আৰু অধ্যয়ন কৰিবলৈ কেতিয়া সময় পায় আমি ভাবি নাপাওঁ। তেওঁলোকৰ কাণ্ড-কাৰখানা দেখি ধাৰণা হয় যে ৰাজ্য-পৰিচালনা ব যেন ল'ৰা-ধেমালিৰ নিচিনা কাম পৃথিৱীত আন একোৱেই নাই। আমাৰ দেশত গণতন্ত্ৰৰ ভেটি দুৰ্বল হৈ অহাৰ ইও এটা অন্যতম কাৰণ। ইয়াত মন্ত্ৰীয়ে গোটেই জীৱন জনতাৰ চাটুকাৰ হৈয়ে থাকিব খোজে, কেতিয়াও সুদক্ষ প্ৰশাসক হ'ব নোখোজে। ফলত প্ৰতিশ্ৰুতি আৰু কামৰ মাজত ব্যৱধান দিনে দিনে বাঢ়ি গৈ থাকে, অৱশেষত মানুহে প্ৰশাসন-ব্যৱস্থাৰ সকলো বিশ্বাস হেৰুৱাই পেলায়।

শ্ৰীচৌধুৰীয়ে মুখ্যমন্ত্ৰী হৈ তেওঁৰ নীতি ব্যাখ্যা কৰা প্ৰথম বক্তৃতাত ঘাইকৈ নিবনুৱা সমস্যা সমাধান আৰু বান-নিয়ন্ত্ৰণৰ ওপৰতে বিশেষ গুৰুত্ব দিছিল। বহুতো ঢাক-ঢোল পিটি আৰম্ভ কৰা ব্ৰহ্মপুত্ৰ কমিচন আজি টকাৰ অভাৱত অচল হৈ বহি আছে; চাওঁতে চাওঁতে পুনৰ বাৰিষা আহি পাবৰ হ'লহি, কিন্তু বানপানী নিয়ন্ত্ৰণৰ নামত চলিছে কেৱল দিল্লীৰ লগত পত্ৰালাপ আৰু মন্ত্ৰীসকলৰ ঢোৰা-সাপৰ দৰে ফোঁচফোচনি। নিবনুৱা সমস্যাও আন এটা বানপানীয়েই। লুইতৰ বলিয়া বানৰ দৰে ই দিনে দিনে কোবাল গতিৰে বাঢ়িব লাগিছে, কিন্তু তাৰ নিয়ন্ত্ৰণৰ কাৰণে মন্ত্ৰীসকলে নিক্ষেপ কৰিছে কেৱল বাক্য-বান।

প্ৰথমে গান্ধী, তাৰ পাচত নেহৰু, এতিয়া ইন্দিৰা— এজনৰ পিছত এজনকৈ এই তিনিজন সম্মোহক ব্যক্তিৰ নাম ভাঙিয়েই ভাৰতবৰ্ষত কংগ্ৰেছ ৰাজত্ব চলি আছে। তেওঁলোকৰ অনুসৰণকাৰী সকলে এই নাম কেইটাও জনতাৰ উন্নতি বা মঙ্গলৰ কাৰণে ব্যৱহাৰ কৰা নাই, ব্যৱহাৰ কৰিছে নিজৰ ক্ষমতা আৰু পদ-মৰ্য্যাদা কায়েম ৰাখিবৰ কাৰণেহে। নিজৰ ত্যাগ, সেৱা আৰু কৰ্মদক্ষতা দেখুৱাবৰ কোনো প্ৰয়োজন তেওঁলোকে এতিয়ালৈকে অনুভৱ কৰা নাই। কিন্তু এই ফাঁকিৰ ৰাজত্ব আৰু কিমান দিন চলিব।

বিপ্লৱৰ বিকল্প

মাৰ্ঘেৰিটাৰ পৰা এজন পাঠকে অলপতে সাপ্তাহিক নীলাচলৰ মুণ্ডপাত কৰি এখন চিঠি লিখিছে। তেওঁৰ অভিযোগ ঃ নীলাচলৰ সম্পাদকে আগৰ দৰে তেজস্বী সম্পাদকীয় প্ৰবন্ধ নিলিখে আৰু চৰকাৰক থকা-সৰকা কৰি সমালোচনাও নকৰে। এসময়ত এই কাকতত 'মানুহৰ মূৰৰ ব্যৱসায়' নামৰ এটা সম্পাদকীয় লিখা হৈছিল। সম্পাদকক সেই প্ৰবন্ধৰ কথা সোঁৱৰাই দি পাঠকজনে অভিযোগ কৰিছে যে নীলাচলৰ সম্পাদকেও নিশ্চিয় ইতিমধ্যেই চৰকাৰ আৰু কাকতৰ মালিকৰ ওচৰত নিজৰ মূৰটো বিক্ৰী কৰিছে। সেয়ে আজিকালি তেওঁৰ কাপেদি আগৰ দৰে গৰম কথা নোলায়।

এনেকুৱা চিঠি প্ৰায়েই পাই থাকোঁ। মাজে মাজে দুই-এখন প্ৰকাশো কৰোঁ। অলিভাৰ টুইষ্টৰ নিচিনাকৈ মাজে মাজে দুই-এজনে চিঞৰি উঠে ঃ 'I want more' 'মোক আৰু লাগে'। পাঠকসকলৰ এনে দাবী আৰু সমালোচনাই আমাৰ মানসিক অলসতা, আত্ম-সন্তুষ্টিৰ মনোভাব দূৰ কৰে আৰু জনসাধাৰণৰ অনুভূতিৰ প্ৰতি সদা সচেতন হৈ থাকিবলৈ আমাক সতৰ্ক কৰি থাকে। গতিকে পাঠকসকলৰ পৰা এনে সকীয়নি আমি আৰু বিচাৰোঁ।

কিন্তু ওপৰত উল্লেখ কৰা মাৰ্ঘেৰিটাৰ পাঠকজনৰ খঙৰ উগ্ৰতাই এনে ধৰণৰ আন সকলো চিঠিকেই চেৰ পেলালে আৰু আমাকো গোটেই বিষয়টো দকৈ চিন্তা কৰি চাবলৈ বাধ্য কৰালে। সাপ্তাহিক নীলাচলৰ সম্পাদকীয় প্ৰবন্ধবোৰ সদায় সমানেই আকৰ্ষণীয় হ'ব বা তাত ব্যক্ত হোৱা মতামতবোৰো সকলোৰে গ্ৰহণযোগ্য হ'ব এনে দাবী আমি কেতিয়াও নকৰোঁ। এই দাবীও আমি নকৰোঁ যে আমাৰ দায়িত্ব সদায় যথাযথভাৱে কৰিবলৈ আমি সক্ষম হৈছোঁ। কিন্তু আমাৰ সকলো সীমাবদ্ধতা আৰু ব্যৰ্থতা স্বীকাৰ কৰিও আমি ক'ব খোজোঁ যে এক বিশেষ পাঠক গোষ্ঠীৰ বিৰুদ্ধে আমাৰো এটা অভিযোগ আছে।

ফুটবল খেলৰ দৰ্শকসকলৰ আচৰণ আৰু ভাব-ভংগীলৈ লক্ষ্য কৰি থাকিলে এটা কথা দেখা যায় যে তেওঁলোকে খেলুৱৈৰ সমানে নিজেও হাত-ভৰি জোকাৰি থাকি উত্তেজনা প্ৰকাশ কৰে আৰু পৰোক্ষভাৱে খেলত অংশ গ্ৰহণ কৰাৰ আনন্দ অনুভৱ কৰে। এনে ধৰণৰ অভিজ্ঞতাক Vicarious pleasure বুলি কোৱা হয়, অৰ্থাৎ নিজে একো নকৰিও আন এজনৰ কাম বা কথাৰ মাজেদি নিজৰ ইপ্সিত বাসনা চৰিতাৰ্থ কৰা হয়। দৈনন্দিন জীৱনত আমি হাজাৰটা কথা বা কামৰ মাজেদি এনে অভিজ্ঞতা লাভৰ পৰিচয় দিওঁ। বাতৰি কাকতত গৰম সম্পাদকীয় প্ৰবন্ধ বা চৰকাৰৰ নিৰ্মম সমালোচনা পঢ়ি যিসকল পাঠকে চৰম উত্তেজনাজনিত তৃপ্তি অনুভৱ কৰে, তেওঁলোকেও এনে ধৰণৰ Vicarious pleasure পোৱাৰেই পৰিচয় দিয়ে। ই অতি স্বাভাৱিক আৰু ইয়াৰ প্ৰয়োজনো আছে। কিন্তু জীৱনত প্ৰত্যেকটো কথাৰে সীমা থকাৰ দৰে এনে অভিলাসৰো এটা সীমা থকা উচিত। কাৰণ ফুটবল খেলত নিজে নেখেলিও দৰ্শকৰ শাৰীৰ পৰা কেৱল হাত-ভৰি জোকাৰিয়েই নিজৰ উত্তেজনা প্ৰকাশ কৰাৰ এটা যুক্তিসংগত প্ৰয়োজন থাকিব পাৰে, কিন্তু জীৱনৰ বৃহত্তৰ ক্ষেত্ৰত কেৱল এনে পৰোক্ষ অভিজ্ঞতাতে সন্তুষ্ট থাকিলে তাৰ পৰা নিজৰ আৰু লগতে সমাজৰো প্ৰচুৰ ক্ষতি হোৱাৰ সম্ভাৱনা।

সকলো নহয়— কিন্তু এনে বহুতো পাঠক আছে, যিসকলে বাতৰি কাকতত মন্ত্ৰীৰ বা বিষয়াৰ কাম-কাজৰ উগ্ৰ সমালোচনা পঢ়ি প্ৰচণ্ড উত্তেজনা অনুভৱ কৰে। এক অকৰ্মণ্য, কৰ্তব্য-বিমুখ আৰু দুৰ্নীতিগ্ৰস্ত শাসন-ব্যৱস্থাৰ বিৰুদ্ধে তেওঁৰ মনত দীৰ্ঘদিন ধৰি যি ক্ষোভ আৰু ক্ৰোধ পুঞ্জিত হৈ থাকে, সেই ক্ষোভ বাতৰি কাকতৰ খণ্ডাল প্ৰবন্ধত ব্যক্ত হোৱা দেখি তেওঁ নিজেও বিৰাট স্বস্তি অনুভৱ কৰে। তেওঁ নিজে যিটো কাম কোনোদিন কৰিব পৰা নাই, অৰ্থাৎ দুৰ্নীতিপৰায়ণ মন্ত্ৰী বা বিষয়াক দুটা কথা শুনাই তেওঁক কোনোদিন শাস্তি দিব পৰা নাই, তেনে লোকসকল বাতৰি কাকতৰ সমালোচনাৰ দ্বাৰা ক্ষত-বিক্ষত হোৱা দেখি তেওঁ এটা পৰম তৃপ্তি অনুভৱ কৰে। কিন্তু তেওঁ পাহৰি যায় যে বাতৰি কাকত পঢ়ি স্বস্তি বা তৃপ্তি বা Vicarious pleasure অনুভৱ কৰাটোৱেই তেওঁৰ একমাত্ৰ উদ্দেশ্য হোৱা উচিত নহয়। তেওঁৰ উদ্দেশ্য হোৱা উচিত এই জাগ্ৰত চেতনা বা উত্তেজনাখিনি সমাজৰ পৰা অন্যায়-অবিচাৰ দূৰ কৰাত প্ৰয়োগ কৰাটোহে। কিন্তু বেছি ভাগ মানুহেই এইখিনিতে ডাঙৰ ভুল কৰে বা দুঃখজনক ব্যৰ্থতা দেখুৱায়। উত্তেজনা প্ৰদৰ্শন কৰাৰ বাহিৰে তেওঁলোকে নিজে কামত একো নকৰে। তেওঁলোকে এইটো বিচাৰে যে বাতৰি কাকতৰ সমালোচনাৰ কামান গৰ্জনতেই অন্যায়-অবিচাৰৰ দুৰ্ভেদ্য দুৰ্গটো ধূলিস্যাৎ হৈ পৰক আৰু তেওঁলোকে কেৱল দূৰৰ পৰা আনন্দৰ হাত চাপৰি বাওক। কিন্তু বাতৰি কাকতে অকলে এই কাম কেতিয়াও কৰিব নোৱাৰে। বাতৰি কাকতৰ কাম হ'ল অন্যায়ৰ বিৰুদ্ধে জনমত গঠন কৰা আৰু জনতাৰ সুপ্ত চেতনাক জাগ্ৰত কৰা। বহুতো মানুহে স্বাভাৱিক উপায়েৰে নিজৰ চেতনাক উদ্দীপ্ত কৰিব নোৱাৰি মদ-ভাং আদি নিচাৰ সহায় লয় আৰু অৱশেষত গৈ এনে এবিধ নিচাৰ অবিহনে তেওঁলোকে কোনো ধৰণৰ সুস্থ উত্তেজনাকেই অনুভৱ কৰিব নোৱাৰা হয়। নিচা খাই হোৱা উত্তেজনাৰে কোনো মানুহে কেতিয়াও কোনো স্থায়ী কাম কৰিব নোৱাৰে। তেওঁৰ সকলো সময় আৰু শক্তি এনে ধৰণৰ নিচাজনিত উত্তেজনাখিনি উপভোগ কৰাতেই শেষ হৈ যায়। নিচা শাম কাটি আহিলেই তেওঁ আকৌ নতুনকৈ নিচা বিচাৰে। বাতৰি কাকতৰ গৰম আৰু উত্তেজনাপূৰ্ণ লেখাৰ প্ৰতি আসক্ত হৈ পৰা পাঠককো এনে ধৰণৰ নিচাখোৰৰ লগতেই তুলনা কৰিব পাৰি। শব্দৰ নিচাত তেওঁ এনেভাৱে আসক্ত হৈ পৰে যে সদায় এই নিচাতেই তেওঁ মতলীয়া হৈ থাকিব খোজে। নিচাখোৰ মদপীয়ে ঠিক সময়ত মদ খাবলৈ নাপালে অস্থিৰ হৈ উঠাৰ দৰে এইবিধ মানুহেও বাৰে বাৰে আনৰ উত্তেজনাপূৰ্ণ কথা শুনিবলৈ নাপালে হতাশাত ভাগি পৰে। কিন্তু যি মানুহে নিচাযুক্ত শব্দৰ সহায় নোলোৱাকৈ সমাজৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে কোনো ধৰণৰ উত্তেজনা অনুভৱ কৰিব নোৱাৰে বা যি মানুহে নিজে কামত একো নকৰি বাতৰি কাকতৰ উত্তেজনাপূৰ্ণ ৰচনাৰ যোগেদি Vicarious pleasure অনুভৱ কৰিব খোজে, তেনে মানুহৰ উত্তেজনা মদপীৰ উত্তেজনাৰ দৰেই ক্ষণস্থায়ী আৰু নিষ্ফল। দুখৰ কথা যে আজি আমাৰ দেশত এনেকুৱা মানুহৰ সংখ্যাই বেছি। তেওঁলোকে বিপ্লৱ বিচাৰে, কিন্তু সেই বিপ্লৱৰ স্বপ্ন বাতৰি কাকতলৈ খণ্ডাল চিঠি এখন লিখাৰ মাজতেই সীমাবদ্ধ। তেওঁলোকে অকৰ্মণ্য আৰু দুৰ্নীতিপৰায়ণ মন্ত্ৰীৰ শাস্তি হোৱাটো বিচাৰে, কিন্তু সেই একেবোৰ মন্ত্ৰী আৰু এম. এল. এ.ই তেওঁলোকৰ ভোটৰ জোৰেতে বাৰে বাৰে বিধান সভা বা পাৰ্লিয়ামেণ্টলৈ নিৰ্বাচিত হৈ গৈ থাকে। বিপ্লৱ কেৱল কটা-মৰা বা ভঙা-ছিঙা বা শব্দৰ উত্তেজনা নহয়; বিপ্লৱ হ'ল এটা মানসিক অৱস্থা। বেয়াটোক সলনি কৰি ভাল এটাক প্ৰতিষ্ঠা কৰিবলৈ স্থায়ী আৰু দৃঢ় আকাংক্ষাই হ'ল এনে মানসিক অৱস্থাৰ ঘাই লক্ষণ। কিন্তু যি জাতিয়ে বা যি সমাজে এনে এটা স্থায়ী মানসিক অৱস্থাত উপনীত হ'বৰ কাৰণে অবিৰামভাৱে উত্তেজক শব্দৰ নিচা সেৱন কৰাৰ প্ৰয়োজন অনুভৱ কৰে আৰু নিজৰ চিন্তা কৰাৰ আৰু কাম কৰাৰ সকলো দায়িত্ব আনৰ ওপৰত অৰ্পণ কৰি নিজে নিস্তেজ হৈ বহি থাকে, তেনে সমাজে কেতিয়াও 'বিপ্লৱ জন্ম দিব নোৱাৰে; তেনে সমাজে জন্ম দিয়ে কেৱল হিটলাৰৰ দৰে ৰক্তলোলুপ একনায়কৰ।

কাক ভোট দিম?

ভাৰতবৰ্ষত প্ৰায় ৫০ কোটি মানুহ আছে। এই ৫০ কোটি মানুহৰ প্ৰত্যেকজনৰে অৱস্থা ওপৰত দেখুওৱা মানুহজনৰ নিচিনা নিশ্চয় নহয়। কিন্তু এই দেশত এনে কোটি কোটি মানুহ আছে— যিসকলে বহু যুগৰ সামাজিক অন্যায় আৰু শোষণৰ ফলত আজি এনে এটা অৱস্থাত আহি উপনীত হৈছে। এই নগ্ন আৰু কঙ্কালসাৰ ভাৰতীয় ভিক্ষাৰীজন হ'ল চৰম দাৰিদ্ৰ্যৰ জীৱন্ত প্ৰতীক। পৃথিৱীৰ বেচিভাগ দেশতেই এনে চৰম দাৰিদ্ৰ্য লাহে লাহে অদৃশ্য হৈ আহিছে। কিন্তু ভাৰতবৰ্ষত ইয়াৰ মাত্ৰা দিনে দিনে বৃদ্ধি পাব ধৰিছে।

প্ৰশ্ন হ'ব পাৰে— স্বাধীনতা পোৱাৰ পিচৰে পৰা যোৱা তেইশ বছৰে অৰ্থনৈতিক উন্নয়নৰ নামত কেইবা হাজাৰ কোটি টকা খৰচ কৰি চাৰিটাকৈ পঞ্চম-বাৰ্ষিক পৰিকল্পনা প্ৰায় সম্পূৰ্ণ কৰাৰ পাচতো দাৰিদ্ৰ্যৰ মাত্ৰা কেনেকৈ বাঢ়ি যাব পাৰে? চৰকাৰী প্ৰচাৰ-যন্ত্ৰৰ যোগেদি অহৰ্নিশে ৰাইজক যিবোৰ উন্নতিৰ কথা ঢোল পিটি শুনোৱা হৈছে, সেই সকলোবোৰ কেৱল মনে সজা মিছা কথা নেকি?

নহয়, সেই আটাইবোৰ মিছা কথা নহয়। যোৱা তেইশ বছৰত আমাৰ দেশে অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰত যথেষ্ট আগবাঢ়িছে। এনে অজস্ৰ বিৰাট কল-কাৰখানা নিৰ্মাণ হ'ব ধৰিছে— যিবোৰৰ কথা আগতে আমাৰ দেশৰ মানুহে কল্পনাও কৰিব পৰা নাছিল। উন্নত বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগে কৃষি-ক্ষেত্ৰতো বৈপ্লৱিক পৰিবৰ্তন আনিছে। দেশত যে সম্পদ আগতকৈ কিছু বাঢ়িছে সেই বিষয়ে কোনো সন্দেহ নাই।

কিন্তু দেশত সম্পদো বাঢ়িছে, অথচ লগে লগে দাৰিদ্ৰ্যও বাঢ়িছে— এই দুটা বিপৰীতমুখী কথা একেলগে কেনেকৈ সম্ভৱ হ'ব পাৰে? সম্ভৱ হ'ল এই কাৰণেই যে দেশত নতুনকৈ সৃষ্টি হোৱা সম্পদবোৰ সকলো মানুহৰ মাজত উচিতভাৱে বিতৰণ নহৈ সমাজৰ মুষ্টিমেয় মানুহৰ হাতলৈ গুচি গ'ল। কওঁতে শুনিবলৈ খুব ভাল যে ১৯৪৭ চনত ভাৰতৰ G.N.P. বা সৰ্বমুঠ জাতীয় আয় আছিল (ধৰি লওক) ৫০০ কোটি টকা; কিন্তু কুৰি বছৰীয়া কংগ্ৰেছী শাসন আৰু তিনিটা পঞ্চ-বাৰ্ষিক পৰিকল্পনাৰ অন্তত ১৯৬৭ চনত সৰ্বমুঠ জাতীয় আয়ৰ পৰিমাণ হ'লগৈ (ধৰি লওক) ২০০০ কোটি টকা। অৰ্থাৎ কুৰি বছৰত দেশৰ সৰ্বমুঠ আয় চাৰিগুণ বৃদ্ধি পালে। দুয়ে দুয়ে চাৰি হোৱাৰ দৰে দেশৰ অৰ্থনৈতিক উন্নতিৰ ইয়াতকৈ নিৰ্ভুল প্ৰমাণ

নিশ্চয় আন একো হ'ব নোৱাৰে। মাত্ৰ কেই বছৰমান আগলৈকে কংগ্ৰেছী ভলণ্টিয়াৰসকলে ভাটৌৰ দৰে এইখন ধাৰাপাত মুখস্থ গায়েই হোজা গাঁৱলীয়া মানুহৰ মুখ বন্ধ কৰিছিল আৰু তেওঁলোকৰ ভোটবোৰ নি নিজৰ দলৰ বেলট বাকচ ওপচাই পেলাইছিল। কিন্তু চিৰকাল কোনেও কাকো ফাঁকি দি থাকিব নোৱাৰে। অৱশেষত মেকুৰীটো জোলোঙাৰ পৰা ওলাল। এতিয়া এই কথা দিনৰ পোহৰৰ দৰেই স্পষ্ট হৈ পৰিছে যে যোৱা তেইশ বছৰত দেশত যিমানবোৰ নতুন ধন-সম্পদ বাঢ়িল বা সৃষ্টি হ'ল— সেই সকলোবোৰ থুপ খালেগৈ মাত্ৰ এমুঠিমান চতুৰ মানুহৰ চন্দুকত। বাকী কোটি কোটি মানুহৰ উপাৰ্জন আগতকৈতো নাবাঢ়িলেই, বৰং মুদ্ৰা-স্ফীটি আৰু মূল্য-বৃদ্ধিয়ে তেওঁৰ সীমাবদ্ধ উপাৰ্জনৰো মূল্য আগতকৈ দিনে দিনে হ্ৰাস কৰিহে আনিলে।

তেইশ বছৰৰ আগতে স্বৰাজৰ যি মধুৰ স্বপ্নই আমাৰ চকুৰ আগত এক ৰঙীন আৰু উজ্জ্বল ভৱিষ্যতৰ চিত্ৰ আঁকি দিছিল, সেই ভৱিষ্যত আজি আমাৰ কাৰণে বৰ্তমানত পৰিণত হৈছে। কিন্তু এই বৰ্তমানৰ ৰূপ ৰঙীন নহয়, উজ্জ্বল নহয়, আনকি সি সহনীয়ও নহয়। এই বৰ্তমানৰ চেহেৰা এনকুৱাই যে আজি ৫০ কোটি মানুহৰ বিশাল দেশৰ সকলো ধন-সম্পত্তিৰ অাচল মালিক হ'ল মাত্ৰ কেইটামান ধনী পৰিয়াল; মাত্ৰ কেইহাজাৰমান মানুহৰ বছেৰেকীয়া উপাৰ্জন ৫০ হাজাৰ টকাতকৈ বেছি; আনহাতে দেশৰ প্ৰায় ২৭ কোটি মানুহৰ দৈনিক উপাৰ্জন মাত্ৰ ২০ পইচা, অৰ্থাৎ বছৰি ৭৩ টকা মাত্ৰ। তাৰে ভিতৰত কেইকোটিমান মানুহৰ চেহেৰা হ'ল ওপৰৰ ছবিত দেখুওৱা মানুহজনৰ নিচিনা।

সন্দেহ নাই যে There is something rotten in the state of India.— অৰ্থাৎ ভাৰতৰ সমাজ-ব্যৱস্থাত নিশ্চয় কিবা এটা কেৰোণ লাগিছে। এই অৱস্থা আৰু এদিনৰ কাৰণেও অব্যাহত গতিৰে চলি থাকিবলৈ দিব নোৱাৰি। ভাৰতৰ দৰিদ্ৰ জনতাৰ প্ৰতীক স্বৰূপ ওপৰৰ ছবিত দেখুওৱা নগ্ন আৰু কংকালসাৰ মানুহজনে মূৰে-কপালে হাত দি শতাব্দীৰ পাচত শতাব্দী ধৰি সুদিনৰ কাৰণে প্ৰতীক্ষা কৰি আছিল। স্বাধীনতাই তেওঁৰ ক্লান্ত হৃদয়ত এটা ক্ষীণ আশা জগাই তুলিছিল। কিন্তু আজি সেই আশা ধূলিস্যাৎ হৈ গৈছে। তেওঁ আজি বুজি উঠিছে যোৱা তেইশ বছৰে আমি যি পথেৰে আগবাঢ়িছো, সেই পথ দেশৰ কোটি কোটি মানুহৰ কাৰণে দাৰিদ্ৰ্যৰ অতল গহ্বৰলৈ নামি যোৱাৰহে পথ। সুখ-সমৃদ্ধিৰ নতুন ভৱিষ্যতলৈ উঠি যোৱাৰ পথ নহয়। গতিকে আজি আমি আগৰ পুৰণি পথ পৰিহাৰ কৰি এটা নতুন পথ বাছি ল'ব লাগিব।

নতুন পথ লোৱাৰ অৰ্থই হ'ল বৰ্তমানৰ চলিত সমাজ ব্যৱস্থা আৰু শাসন ব্যৱস্থা সলনি কৰা পথ। দুটা পথ বা দুটা উপায়েৰে আমি অকল্যাণকৰ সমাজ-ব্যৱস্থাৰ সলনি কৰিব পাৰোঁ। এটা হ'ল হিংসাৰ সহায়েৰে বৈপ্লৱিক পৰিবৰ্তনৰ পথ, আনটো হ'ল গণতান্ত্ৰিক সংস্কাৰৰ পথ।

ভাৰতবৰ্ষৰ মানুহৰ আগত আজি প্ৰথম প্ৰশ্ন হ'ল : এই দুটাৰ ভিতৰত তেওঁলোকে কোনটো পথ বাছি ল'ব?

আধুনিক কালত ভাৰতৰ সমতুল্য মাত্ৰ দুখন বৃহৎ ৰাষ্ট্ৰত বিপ্লৱৰ ৰক্তাক্ত পথেৰে সমাজ-ব্যৱস্থাৰ পৰিবৰ্তন সাধিত হৈছে। দেশ দুখন হ'ল ৰাচিয়া আৰু চীন। পূৰ্ব-ইউৰোপৰ আটাইকেইখন কমিউনিষ্ট ৰাষ্ট্ৰতে বিপ্লৱ বা গণ-আন্দোলনৰ যোগেদি কমিউনিজম অহা নাই। আহিছে দ্বিতীয় মহাযুদ্ধৰ সময়ত সেই দেশবোৰ ঘটনাক্ৰমে ৰাচিয়াৰ দখল আৰু প্ৰভাৱৰ অধীনলৈ অহাৰ ফলতহে। আচৰিত কথা যে কমিউনিষ্ট বিপ্লৱৰ গুৰু কাৰ্লমাৰ্ক্সে ৰাচিয়াত বিপ্লৱ হ'ব বুলি আশা কৰা নাছিল; বৃটেইনৰ দৰে শিল্পোন্নত পশ্চিমীয় দেশবোৰতহে প্ৰথমে বিপ্লৱ আৰম্ভ হ'ব বুলি তেওঁ ভৱিষ্যদ্বাণী কৰিছিল। মাৰ্ক্সৰ ভৱিষ্যদ্বাণী ব্যৰ্থ কৰি বৃটেইনৰ দৰে

শিল্পোন্নত দেশৰ পৰিবৰ্তে ৰাচিয়াৰ দৰে অনগ্ৰসৰ দেশতহে প্ৰথম সৰ্বহাৰাৰ বিপ্লৱ আৰম্ভ হ'ল। তাৰ কাৰণ কি? তাৰ কাৰণ চমুকৈ এয়েই যে বৃটেইনৰ দৰে দেশত সমাজ সচেতন বুৰ্জোৱা শ্ৰেণীৰ সন্মতিক্ৰমেই শান্তিপূৰ্ণ গণতান্ত্ৰিক উপায়েৰে অৰ্থনৈতিক ব্যৱস্থাৰে ক্ৰম-পৰিৱৰ্তন সম্ভৱ আছিল,— যিটো কাম নিষ্ঠুৰ আৰু অত্যাচাৰী জাৰ-তন্ত্ৰৰ অধীনত ৰাচিয়াত আছিল একেবাৰে অসম্ভৱ। মাৰ্ক্সেও এই সম্ভাৱনা একেবাৰে অস্বীকাৰ কৰা নাছিল। সেই কাৰণে এশ বছৰৰ আগতেই তেওঁ লিখিছিল ঃ "এদিন নহয় এদিন শ্ৰমিক-শ্ৰেণীয়ে ক্ষমতা হস্তগত কৰিবই, ই আৱশ্যম্ভাবী। পুৰণি ৰাজনীতিৰ অৱসান ঘটিবই। কিন্তু আমি কেতিয়াও এই কথা কোৱা নাই যে যি উপায়েৰে এই উদ্দেশ্য সাধিত হ'ব সি অলৰ-অচৰ আৰু অপৰিৱৰ্তনীয়। আমি জানো যে প্ৰত্যেক দেশৰ বিশেষ পৰিস্থিতিৰ বিচাৰ কৰাৰ প্ৰয়োজন; প্ৰয়োজন বিশেষ বিশেষ দেশৰ প্ৰথম বৈশিষ্ট্য আৰু ঐতিহ্যৰ বিচাৰ। আৰু আমি এই কথাও অস্বীকাৰ নকৰো যে ইংলেণ্ড আৰু আমেৰিকা আদিৰ দৰে এনেকুৱা যিবোৰ দেশ আছে সেইবোৰ দেশত হয়তো শ্ৰমিক শ্ৰেণীয়ে শান্তিপূৰ্ণ উপায়েৰে নিজৰ উদ্দেশ্য সিদ্ধি কৰিব পাৰিব।" এঙ্গেল্‌চ আৰু লেনিনেও এই উক্তিৰ প্ৰতিধ্বনি কৰি বহুবাৰ এই বিশ্বাস ব্যক্ত কৰিছিল যে যিবোৰ দেশত সংসদী গণতন্ত্ৰ আছে, শোষিত শ্ৰেণীৰ দাবী ব্যক্ত কৰিবলৈ অনুকূল পৰিৱেশ আছে, সবল বিপ্লৱী জনমত আছে— সেইবোৰ দেশত শান্তিপূৰ্ণ আৰু নিয়মতান্ত্ৰিক উপায়েৰে সামাজিক ৰূপান্তৰ অনাটো সম্ভৱপৰ।

আমি বিশ্বাস কৰোঁ যে ভাৰতবৰ্ষৰ বৰ্তমান পৰিস্থিতিত শান্তি আৰু গণতান্ত্ৰিক উপায়েৰে সমাজবাদ স্থাপনৰ কাৰণে অনুকূল। শাসকচক্ৰৰ যি নিষ্ঠুৰ আৰু বৰ্বৰ দমন-নীতিয়ে জনসাধাৰণক তেওঁলোকৰ দাবী ব্যক্ত কৰিবলৈ সুবিধা নিদিয়ে আৰু তেওঁলোকক জোৰ কৰি বিপ্লৱৰ ৰক্তাক্ত পথলৈ ঠেলি দিয়ে, ভাৰতবৰ্ষত তেনেকুৱা দমননীতি নাই। পৃথিৱীৰ আন কোনো দেশতে কোনো কমিউনিষ্ট পাৰ্টিয়ে আজিলৈকে মুক্ত নিৰ্বাচনৰ যোগেদি শাসন ক্ষমতালৈ আহিব পৰা নাই, কিন্তু ভাৰতবৰ্ষত চৰমপন্থী কমিউনিষ্টসকলৰ পক্ষেও একাধিকবাৰ চৰকাৰ গঠন কৰা সম্ভৱ হৈছে। আন কথাত ক'বলৈ গ'লে ৰুচিয়া আৰু চীন দেশৰ যি বিশেষ পৰিস্থিতিত সশস্ত্ৰ বিপ্লৱ অনিবাৰ্য্য হৈ পৰিছিল, ভাৰতবৰ্ষত তেনে পৰিস্থিতিৰ উদ্ভৱ হোৱা নাই। সংসদী গণতন্ত্ৰৰ পথেৰেও ইয়াত সমাজবাদ স্থাপন কৰা সম্ভৱ। আনহাতে ভাৰতবৰ্ষত ক্লাছিকেল পদ্ধতিৰ সশস্ত্ৰ বিপ্লৱ সৃষ্টি কৰা বা তাক কৃতকাৰ্য্য কৰা একে আষাৰতেই অসম্ভৱ।

গতিকে আমাৰ প্ৰথম প্ৰশ্নৰ উত্তৰ হ'ব এয়েই যে ভাৰতবৰ্ষৰ কাৰণে হিংসাশ্ৰয়ী বৈপ্লৱীক পৰিৱৰ্তনৰ পথ অনিবাৰ্য্যও নহয়, সম্ভৱো নহয়। দেশে বাচি লোৱা সংসদী গণতন্ত্ৰৰ পথেই সমাজবাদ স্থাপনৰ কাৰণে আমাৰ সন্মুখত একমাত্ৰ পথ।

অহা পহিলা মাৰ্চৰ পৰা আৰম্ভ হ'বলগা লোকসভাৰ মধ্যৱৰ্তী নিৰ্বাচনৰ গুৰুত্ব এই কাৰণেই অপৰিসীম। প্ৰথম তিনিটা সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলৰেই একাধিপত্য আছিল, আৰু ৰাইজে এটা মিছা আশাত বন্দী হৈ কেৱল কংগ্ৰেছ দলকে অপ্ৰতিদ্বন্দ্বি আসনত অধিষ্ঠিত কৰিছিল। চতুৰ্থ নিৰ্বাচনৰ আগে আগে ৰাইজৰ মোহভঙ্গ হ'ল, আৰু তেওঁলোকে কেইবাখনো ৰাজ্যত কংগ্ৰেছৰ এদলীয়া শাসনৰ অৱসান ঘটাই বাঁওপন্থী দলকেইটামানকো চৰকাৰ গঠন কৰিবলৈ সুবিধা দিলে। সেইবোৰ চৰকাৰৰ কি অৱস্থাত কি পৰিণাম ঘটিল সি অতি সাম্প্ৰতিক ইতিহাস। চমুকৈ ক'বলৈ গ'লে প্ৰকৃত বাঁওপন্থী দলবোৰৰ ঐক্য আৰু ব্যাপক জনসমৰ্থনৰ অভাৱেই এইবোৰ চৰকাৰৰ পতনৰ মূল কাৰণ। তাৰ পাচত ভাৰতৰ ৰাজনীতিত এটা যুগান্তকাৰী ঘটনা ঘটিল; বাইশ বছৰ ধৰি একাদিক্ৰমে এদলীয়া চৰকাৰ চলাই অহা কংগ্ৰেছ দলৰ বিভাজন হ'ল। এই এটা মাত্ৰ

ঘটনাই ভাৰতৰ সোঁ-বাঁও নিৰ্বিশেষে প্ৰত্যেকটো ৰাজনৈতিক দলৰ মাজত নতুন চিন্তাৰ সূচনা কৰিলে আৰু প্ৰত্যেকটো দলকে নতুন কৌশল ল'বলৈ বাধ্য কৰিলে। যোৱা তিনি বছৰৰ ঐতিহাসিক ঘটনাৱলীয়ে ভাৰতীয় জনতাৰ চিন্তাতো বৈপ্লবিক পৰিবৰ্তন আনিছে। এদনীয়া কংগ্ৰেছ শাসনৰ আন্ধাৰ দীঘল সুৰঙ্গ অতিক্ৰম কৰি তেওঁলোকে যেন এখন মুকলি পোহৰ ঠাইত আহি উপনীত হৈছে, আৰু অন্ততঃ এই কথা তেওঁলোকে পৰিষ্কাৰকৈ বুজি উঠিছে যে ইয়াৰ পাচত তেওঁলোকে ইচ্ছা কৰা যি কোনো নতুন পথ তেওঁলোকে বাছি ল'ব পাৰে।

আগন্তুক মধ্যৱৰ্তী নিৰ্বাচনে এই নতুন পথ বাছি লোৱাৰ সৰ্বপ্ৰথম সুযোগ আনি দিছে।

আমি যদি স্বীকাৰ কৰি লওঁ যে মুক্ত নিৰ্বাচন আৰু সংসদী গণতন্ত্ৰৰ পথেৰেই দেশে সমাজবাদ স্থাপনৰ কামত আগবাঢ়িব লাগে তেন্তে আগন্তুক মধ্যৱৰ্তী নিৰ্বাচনে আনি দিয়া সৰ্ব-প্ৰথম সুযোগৰ আমি পৰিপূৰ্ণ সদ্ব্যৱহাৰ কৰিব লাগিব। কাৰণ এই নিৰ্বাচন অনুষ্ঠিত হ'ব কেইটামান মৌলিক ৰাজনৈতিক প্ৰশ্নৰ ভেটিত। আগৰ কোনো এটা নিৰ্বাচনতেই এই প্ৰশ্নকেইটা জনসাধাৰণৰ আগত সুস্পষ্ট ৰূপত দাঙি ধৰা হোৱা নাছিল। প্ৰশ্নকেইটা হ'ল ঃ আমি আইন কৰি অৰ্থনৈতিক আৰু সামাজিক শোষণৰ পথ বন্ধ কৰিম, নে দেশৰ কোটি কোটি দৰিদ্ৰ মানুহৰ ভাগ্য ধনী পুঁজিপতি শ্ৰেণীটোৰ দয়া আৰু দাক্ষিণ্যৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ এৰি দিম? যোৱা তেইশ বছৰে যি অৰ্থনৈতিক ব্যৱস্থা আৰু নীতিয়ে ধনী আৰু দুখীয়াৰ ব্যৱধান বৃদ্ধি কৰি নি আছে, আমি সেই ব্যৱস্থাকেই অব্যাহত ৰাখিম, নে তাৰ অৱসান ঘটাই নতুন ব্যৱস্থা আৰু নীতিৰ প্ৰৱৰ্তন কৰিম? এই ব্যৱস্থাৰ অৱসান ঘটাবলৈ যাওঁতে যদি ৰাষ্ট্ৰৰ সংবিধানখনে আমাৰ সমুখত প্ৰতিবন্ধক হৈ থিয় দিয়ে, তেন্তে আমি সেই সংবিধানৰ প্ৰয়োজনীয় সংশোধন কৰিম, নে তাক বেদ-বাইবেল-কোৰানৰ দৰেই অপৰিৱৰ্তনীয় বুলি গণ্য কৰি সংবিধানৰ গাত হাত নিদিয়াকৈ থাকিম? ইত্যাদি।

নিৰ্বাচনৰ সম্পৰ্কত মৌলিক প্ৰশ্ন মাত্ৰ একেটাই ঃ আমি কোনটো দলক ভোট দিম?

আগন্তুক নিৰ্বাচনত সৰ্বমুঠ আঠটা জাতীয় পৰ্য্যায়ৰ আৰু চাৰিটা আঞ্চলিক পৰ্য্যয়ৰ দলে প্ৰাৰ্থী থিয় কৰাইছে। আমাৰ প্ৰথম চৰ্ত হোৱা উচিত ঃ এই দলবোৰৰ ভিতৰত কোনকেইটা দল পৰিবৰ্তনৰ পক্ষপাতি আৰু কোন কেইটা দল তাৰ বিৰোধী; কোনকেইটা দলে সংবিধানখন সংশোধন কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে, আৰু কোনকেইটা দলে এনে সংশোধনীৰ বিৰোধিতা কৰিম বুলি হুমকি দিছে; কোনকেইটা দলে সমাজৰ পৰা অৰ্থনৈতিক বৈষম্য দূৰ কৰিবৰ কাৰণে নতুন প্ৰস্তাৱ দাঙি ধৰিছে, আৰু কোনকেইটা দলে ইতিমধ্যেই অকাৰ্য্যকৰী বুলি প্ৰমাণিত হোৱা ফোপোলা কথাবোৰকে দোহাৰি আছে।

আমাৰ সমুখত দ্বিতীয় প্ৰশ্ন হ'ল ঃ কোনকেইটা দলে চৰকাৰ গঠন কৰিব পাৰিম বুলি পৰিপূৰ্ণ আত্ম-বিশ্বাসেৰে আগবাঢ়িছে, আৰু কোনকেইটা দলে বিশেষ একোটা ৰাজনৈতিক আদৰ্শৰ প্ৰতীকী প্ৰতিনিধিত্ব কৰিবৰ কাৰণেহে নিৰ্বাচনত অৱতীৰ্ণ হৈছে।

আঠটা প্ৰধান ৰাজনৈতিক দলৰ ভিতৰত পাঁচটা দল সমাজৰ বাবে সংবিধান সংশোধন আৰু পৰিবৰ্তনৰ পক্ষপাতি। দলকেইটা হ'ল ক্ৰমে শাসক কংগ্ৰেছ, প্ৰজা-চ'চিয়েলিষ্ট পাৰ্টি, কমিউনিষ্ট পাৰ্টি, মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি আৰু সংযুক্ত চ'চিয়েলিষ্ট পাৰ্টি। যি তিনিটা দলে সমাজবাদ, সংবিধান সংশোধন আৰু পৰিবৰ্তনৰ বিৰোধিতা কৰে সেই দলকেইটা হ'ল ক্ৰমে স্বতন্ত্ৰ, জনসংঘ আৰু সাংগঠনিক কংগ্ৰেছ। গতিকে আদৰ্শৰ ফালৰ পৰা ভোটদাতাৰ সন্মুখত পথ পৰিষ্কাৰ ঃ যি সকলে পৰিবৰ্তন কামনা কৰে, তেওঁলোকে প্ৰথম পাঁচটা দলৰ যি কোনো এটাক ভোট দিব লাগিব; যি সকলে পৰিবৰ্তনৰ বিৰোধিতা কৰে আৰু স্থিতাৱস্থা বাহাল ৰাখিব খোজে, তেওঁলোকৰ একমাত্ৰ গতি হ'ল বস্তুত মহাৰাজা-পুঁজিপতিৰ শোভাযাত্ৰাৰ অনুগমন অৰ্থাৎ স্বতন্ত্ৰ-জনসংঘ-কংগ্ৰেছ(সাং)ৰ পন্থানুসৰণ।

কিন্তু এইখিনিতে এচ-এচ-পিৰ প্ৰশ্নটো সংক্ষেপতে নিষ্পত্তি কৰি লোৱা প্ৰয়োজন। নিজকে সমাজবাদী বুলি জাহিৰ কৰা এই দলটোৱে আগন্তুক নিৰ্বাচনত যুঁজিবৰ কাৰণে স্বতন্ত্ৰ, জনসংঘ আৰু সাংগঠনিক কংগ্ৰেছ লগ লাগি এটা জোঁট বান্ধিছে। চাৰিটা ঘোঁৰাই চাৰিওফালে টনা এখন গাড়ী যেনেকৈ কোনো ফালে আগবঢ়াৰ আশা নাই, তেনেদৰে এই চাৰিটা দল লগ লাগি গঠন কৰা চৰকাৰেও কোনো এটা কামত আগবাঢ়িব পৰাৰ আশা নাই। এচ-এচ-পিয়ে বিচাৰে ৰজা-মহাৰজাৰ মাননি বন্ধ হওক, জনসংঘ আৰু স্বতন্ত্ৰ দলে সেই প্ৰস্তাৱৰ ঘোৰ বিৰোধিতা কৰে। এচ-এচ-পিয়ে বৰ্তমানৰ সংবিধানখনৰ আমূল পৰিৱৰ্তন বিচাৰে, কিন্তু বাকী তিনিটা দলেই তাৰ ধাৰা এটাৰো সংশোধনী নিবিচাৰে। যিকেইটা দলৰ ৰাজনৈতিক কাৰ্য্যসূচী আৰু আদৰ্শৰ মাজত এনে দুই মেৰুৰ ব্যৱধান, সেই দলকেইটাই একেলগে কেনেবাকৈ চৰকাৰ গঠন কৰা সম্ভৱ হ'লেও সেই চৰকাৰে কামত কিবা আগবাঢ়িব পাৰিব বুলি কোনোবাই আশা কৰিব পাৰেনে? সংযুক্ত চ'চিয়েলিষ্ট পাৰ্টি হ'ল ভাৰতৰ সমাজবাদী আন্দোলনৰ ৰুগ্ন সন্তান। এই নিৰ্বাচনত সমৰ্থন কৰা মানে দেশত ৰাজনৈতিক বিশৃঙ্খলা আৰু খামখেয়ালী বৃদ্ধি কৰাৰ বাহিৰে আন একো নহয়।

কাক ভোট দিম— এই সম্পৰ্কত আমাৰ দ্বিতীয় প্ৰশ্নটো আছিল কোনকেইটা দলে চৰকাৰ গঠন কৰিবৰ কাৰণে ৰাইজৰ পৰা আস্থা বিচাৰিছে। নিৰ্বাচনত অংশ গ্ৰহণ কৰা দলবোৰক দুটা ভাগত ভাগ কৰিব পাৰি। এটা ভাগে চৰকাৰ গঠন কৰাৰ পৰিকল্পনা চকুৰ আগত ৰাখিয়েই নিৰ্বাচনত নামে আৰু আটাইবোৰ বা প্ৰায়বোৰ আসনতে প্ৰতিদ্বন্দ্বিতা কৰে। আনটো ভাগে নিজৰ সীমাবদ্ধ জন-সমৰ্থন আৰু সম্বলৰ প্ৰতি সচেতন হৈ মাত্ৰ সীমাবদ্ধ আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰে। চৰকাৰ গঠন কৰা এওঁলোকৰ উদ্দেশ্য নহয়, কাৰণ সি তেওঁলোকৰ সাধ্যাতীত। তেওঁলোকৰ প্ৰধান উদ্দেশ্য হ'ল বিধানসভা বা সংসদত তেওঁলোকৰ দলীয় মত দাঙি ধৰি তেওঁলোকৰ দৃষ্টিকোণৰ পৰা চৰকাৰৰ চিন্তাধাৰা আৰু কৰ্মসূচী প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰা।

ভাৰতীয় লোকসভাত মুঠ ৫২২ খন আসন আছে। তাৰে ৫১৭ খন আসনৰ কাৰণে নিৰ্বাচন অনুষ্ঠিত হ'ব। চৰকাৰ গঠন কৰিম বুলি সংকল্প লোৱা দলকেইটাই তাৰ ভিতৰত কম পক্ষেও ২৫৯ খন আসন দখল কৰিব পাৰিব লাগিব। কিন্তু সেইটো সম্ভৱ হ'বলৈ হ'লে দলকেইটাই কমপক্ষেও তিনিশখন আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিব লাগিব। যিবোৰ দলে তিনিশখনতকৈ কম আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে, তেনেবোৰ দলে ধৰিয়েই লৈছে যে চৰকাৰ গঠন তেওঁলোকৰ উদ্দেশ্য নহয়।

নিৰ্বাচনৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য হ'ল কোনো এটা বিশেষ দলক চৰকাৰ গঠন কৰিবৰ কাৰণে জনসাধাৰণৰ অনুমোদন দিয়া। বাকী আন সকলো পিচৰ কথা। গতিকে যিবোৰ দলে চৰকাৰ গঠন কৰাৰ সংকল্প লৈ নিৰ্বাচনত নমাই নাই, সেইবোৰ দল গৌণ বিবেচনাৰহে যোগ্য। ভাৰতৰ কাৰণে এই কথা অধিকভাৱে প্ৰযোজ্য। কাৰণ আমাৰ সংবিধানে ৰাজ্যসমূহৰ ক্ষেত্ৰত যেনেকৈ বিশেষ পৰিস্থিতিত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তনৰ ব্যৱস্থা ৰাখিছে, কেন্দ্ৰৰ ক্ষেত্ৰত তেনে ব্যৱস্থা ৰখা নাই। কেন্দ্ৰত এটা নিৰ্বাচিত চৰকাৰ শাসনত থাকিবই লাগিব। এদিনৰ কাৰণেও তেনে চৰকাৰ নাথাকিলে ৰাষ্ট্ৰপতিক শাসন ভাৰ ল'বলৈ সংবিধানে অধিকাৰ দিয়া নাই; গতিকে ঘটনাক্ৰমে তেনে এটা ভেকুৱাম সৃষ্টি হ'বলৈ হ'লে আমাৰ বৰ্তমানৰ সংবিধান, সংসদ আৰু শাসন ব্যৱস্থা— এই সকলোৰে ভৱিষ্যত হৈ পৰিব সম্পূৰ্ণ অনিশ্চিত।

প্ৰশ্ন হ'ল— প্ৰধান আঠটা জাতীয় পৰ্য্যায়ৰ দলৰ ভিতৰত কোনকেইটা দলে চৰকাৰ গঠন কৰিবৰ কাৰণে জনসাধাৰণৰ অনুমোদন বিচাৰিছে।

মাত্ৰ দুটা দলে।

এটা দল হ'ল শাসক কংগ্ৰেছ। এই দলে লোকসভাৰ সৰ্বমুঠ ৫২২ খন আসনৰ ভিতৰত ৪৫১ খন আসনৰ কাৰণে প্ৰাৰ্থী থিয় কৰাইছে।

আনটো দল হ'ল স্বতন্ত্ৰ-জনসংঘ-সাংগঠনিক কংগ্ৰেছ আৰু এচ.এচ.পিৰ চতুৰ্দলীয় মিত্ৰতা বা মহাজোট। এওঁলোকে মাত্ৰ ৩৮০ খন আসনৰ কাৰণে যুটীয়াভাৱে প্ৰাৰ্থী থিয় কৰাইছে।

বাকী তিনিটা দলৰ (কমিউনিষ্ট পাৰ্টি, মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি, আৰু পি.এচ.পি.) প্ৰত্যেকেই মাত্ৰ এশখনতকৈও কম আসনৰ কাৰণেহে প্ৰাৰ্থী থিয় কৰাইছে।

এনে পৰিস্থিতিত জনসাধাৰণৰ সমুখত মাত্ৰ দুটা পথ খোলা আছে। হয় তেওঁলোকে শাসক কংগ্ৰেছ দলক নহয় চতুৰ্দলীয় মহা জোটক চৰকাৰ গঠন কৰিবলৈ অনুমোদন দিব লাগিব। বাকী দলবোৰক এনে অনুমোদন দিয়াৰ প্ৰশ্নই নুঠে, কাৰণ তেওঁলোকে কোনেও চৰকাৰ গঠন কৰিবলৈ জনসাধাৰণৰ সমৰ্থন বিচৰা নাই।

আমাৰ বিশ্লেষণ এনে এটা অৱস্থাত আহি উপনীত হোৱাৰ পাচত পৰৱৰ্তী চৰকাৰ গঠন কৰিবৰ কাৰণে ৰাইজে কোনটো দলক বাছি ল'ব— সেইবিষয়ে চিন্তা ভাৱনা কৰিবলৈ বেচি অৱকাশ বাকী নাথাকে। দুটা অতি সৰল কাৰণত চতুৰ্দলীয় মহাজোট অৰ্থাৎ স্বতন্ত্ৰ-জনসংঘ-এচ.এচ.পি-সাংগঠনিক কংগ্ৰেছক সমৰ্থন কৰাৰ কোনা প্ৰশ্নই নুঠে। প্ৰথম কাৰণ হ'ল— এই দলকেইটা প্ৰতিক্ৰিয়াশীল, পৰিবৰ্তন-বিৰোধী, সাধাৰণ জনতাৰ শত্ৰু আৰু ৰজা-মহাৰজা-পুঁজিপতিৰ বন্ধু। দ্বিতীয় কাৰণ সম্পূৰ্ণ বিপৰীত মুখী লক্ষ্য আৰু কাৰ্য্যসূচী আগত লৈ আগবঢ়া এই দলকেইটাই কেতিয়াও কেন্দ্ৰত সুস্থিৰ চৰকাৰ গঠন কৰিব নোৱাৰে। অনিবাৰ্য্য অন্তৰ্বিৰোধৰ কাৰণেই এই দলকেইটাই কৃত্ৰিম ঐক্যৰ ভেটিত গঠন কৰা চৰকাৰ দুদিনতে ভাগি যাব, আৰু যিহেতু কেন্দ্ৰত ৰাষ্ট্ৰপতিৰ শাসনৰ ব্যৱস্থা নাই, গতিকে পুনৰ পোন্ধৰ-যোল্ল কোটি টকা ব্যয় কৰি মধ্যৱৰ্তী নিৰ্বাচন পাতিব লাগিব। এনে ব্যয়-বহুল বিলাসিতাৰ কাৰণে কোটি কোটি টকা বাৰে বাৰে খৰচ কৰিবলৈ ভাৰতৰ দৰিদ্ৰ জনতাৰ সামৰ্থ নাই।

অতঃএব, পৰৱৰ্তী কেন্দ্ৰীয় চৰকাৰ গঠন কৰিবৰ কাৰণে শাসক দলক প্ৰয়োজনীয় সংখ্যা-গৰিষ্ঠতাৰ সৈতে জয়-যুক্ত কৰাৰ বাহিৰে জনসাধাৰণৰ সন্মুখত আন কোনো বিকল্প নাই। এই দলক চৰকাৰ গঠন কৰিবলৈ সমৰ্থন দিব লাগিব এই কাৰণে নহয় যে এই দলেই একমাত্ৰ সমাজবাদী আৰু প্ৰগতিশীল দল। সমৰ্থন দিব লাগিব ঘাইকৈ এই কাৰণেই যে ভাৰতৰ সমাজবাদী আৰু পৰিবৰ্তনকামী দলকেইটাৰ ভিতৰত শাসক কংগ্ৰেছ দলেই একমাত্ৰ দল— যিটো দলৰ চৰকাৰ গঠন কৰিবৰ কাৰণে প্ৰয়োজনীয় সামৰ্থ্য আৰু পৰিকল্পনা আছে। শাসক কংগ্ৰেছ দলৰ একমাত্ৰ বিকল্প হ'ল চতুৰ্দলীয় মহা-জোটৰ চৰম প্ৰতিক্ৰিয়াশীল ৰাজত্ব, অথবা অৰাজকতা।

অৱশ্যে লগতে এই কথাও উল্লেখ কৰা প্ৰয়োজন যে এটা শক্তিশালী বিৰোধী দলৰ অবিহনে গণতন্ত্ৰ দুৰ্বল আৰু দুৰ্নীতিগ্ৰস্ত হৈ পৰে। গতিকে আগন্তুক মধ্যৱৰ্তী নিৰ্বাচনৰ যোগেদি ভাৰতৰ জনসাধাৰণে তিনিটা কাম কৰিব লাগিব— (১) সুস্থিৰ চৰকাৰ গঠন কৰিবৰ কাৰণে শাসক কংগ্ৰেছ দলক প্ৰয়োজনীয় সংখ্যা-গৰিষ্ঠতা দিব লাগিব, (২) জাতীয় আৰু আঞ্চলিক পৰ্য্যায়ৰ প্ৰগতিশীল দলবোৰৰ মাজৰ পৰা যথেষ্ট উপযুক্ত লোকক শক্তিশালী বিৰোধী দল গঠনৰ কাৰণে লোকসভালৈ পঠাব লাগিব, আৰু (৩) স্বতন্ত্ৰ, জনসংঘ আৰু সাংগঠনিক কংগ্ৰেছৰ দৰে প্ৰতিক্ৰিয়াশীল আৰু জনস্বাৰ্থ বিৰোধী দলবোৰক সম্পূৰ্ণৰূপে উচ্ছেদ কৰিব লাগিব।

বিমলাপ্ৰসাদ চলিহা

হৃদয়ৰ আৱেগ-বিহ্বল অৱস্থাত কোনো মানুহৰ বিষয়েই নির্ভুল উক্তি কৰা সম্ভৱ নহয়। শোকাকুল হৃদয়ৰ পৰা স্বতস্ফুর্তভাৱে যি প্রশস্তি ওলাই আহে, তাত স্বাভাৱিকতেই বস্তু-নিষ্ঠ বিচাৰতকৈ উচ্ছ্বাসপূর্ণ আৱেগৰ পৰিমাণ বেচি থাকে। কিন্তু অনাগত কালৰ মানুহৰ নিক্ষিপ্ত দৃষ্টিত এই আৱেগ-উচ্ছ্বাসৰ মূল্য যিয়েই নহওক কিয়,- সমসাময়িক কালৰ মানুহৰ কাৰণে এই স্বতস্ফুর্ত আৱেগেই হ'ল যি কোনো সদ্যমৃত মহৎ ব্যক্তিৰ মহত্ত্বৰ প্রধান মাপ-কাঠি। এই মাপ-কাঠিত বিমলাপ্রসাদ চলিহা আধুনিক কালতে পূর্ব-ভাৰতৰ আটাইতকৈ প্রিয় আৰু শ্রদ্ধেয় নেতা আছিল বুলি প্রমাণিত হৈছে।

১৯৬৭ চনৰ ডিচেম্বৰ মাহত প্রায় আকস্মিক আৰু অপ্রত্যাশিতভাৱেই যেতিয়া বিমলাপ্রসাদ চলিহাই অসমৰ মুখ্যমন্ত্রীত্বৰ দায়িত্ব ল'বলগা হ'ল, সেই সময়ত কোনেও তেওঁৰ বিষয়ে কিবা ডাঙৰ আশা পোষণ কৰিছিল বুলি ক'ব নোৱাৰি। কিন্তু দিন যোৱাৰ লগে লগে এই স্বল্পভাষী, অভিজাত আৰু দূৰত্বপ্রিয় মানুহজনৰ চৰিত্রৰ বিৰল গুণাৱলী জনসাধাৰণৰ চকুৰ আগত উন্মোচিত হ'বলৈ ধৰিলে। তেওঁৰ মুখ্যমন্ত্রীত্বৰ বাৰ বছৰীয়া সুদীর্ঘ কালছোৱা নানা ঐতিহাসিক ঘটনাৱলীৰে পৰিপূর্ণ। এই সময়তেই নগা-বিদ্রোহে চূড়ান্ত ৰূপ ধাৰণ কৰে, ১৯৬০ চনৰ অসমীয়াক ৰাজ্য ভাষা কৰাৰ দাবীত ৰক্তাক্ত সাম্প্রদায়িক সংঘর্ষ সংঘটিত হয়, ১৯৬২ চনৰ চীনৰ আক্রমণে অসমৰ কাৰণে জীৱন-মৰণ সমস্যাৰ সৃষ্টি কৰে, তাৰ পাচত ১৯৬৫ চনৰ পাকিস্তানী আক্রমণ, বহিৰাগতৰ ব্যাপক অনুপ্রৱেশ, অসমক খণ্ড-বিখণ্ড কৰাৰ নতুন চেষ্টা ইত্যাদিয়ে ৰাজ্যখনৰ ৰাজনৈতিক জীৱন ক্রমশঃ জটিলতৰ কৰি তোলে। এই সকলোবোৰ সমস্যাৰ মুখামুখি হওঁতে চলিহাই যিকেইটা বিশেষ গুণৰ পৰিচয় দিছিল, সেইকেইটা হ'ল তেওঁৰ নৈতিক সাহস, মানসিক প্রশান্তি আৰু এক উচ্চ আদর্শবাদিতা। কেৱল কৃতকার্য্যতাই মহত্ত্বৰ একমাত্র মাপকাঠি নহয়। অনেক সময়ত পৰাজয়ৰ মাজেদিয়েই মানুহে অধিক মহত্ত্বৰ পৰিচয় দিয়ে। মহত্ত্বৰ আচল মাপ-কাঠি হ'ল মহৎ আদর্শ বা লক্ষ্য। চলিহাই নিজৰ কাৰণে এটা ডাঙৰ লক্ষ্য ঠিক কৰি লৈছিল। সেই লক্ষ্যটো হ'ল বহু জাতি-উপজাতি অধ্যুষিত ভাৰতৰ পূর্বাঞ্চলত সম্পূর্ণ আৱেগিক সংহতি স্থাপন কৰি দেশৰ কাৰণে পূর্ব সিমান্ত নিৰাপদ কৰি তোলা, আৰু জনজাতীয় জাগৰণ আৰু আশা-আকাংক্ষাক নায্য স্বীকৃতি দি অসমৰ ৰাষ্ট্ৰীয় গাঁথনি অক্ষুন্ন ৰখা। এই লক্ষ্যৰ সন্ধানতেই তেওঁ পৃথক নগা-ৰাজ্য স্থাপন হোৱাৰ পাচতো শান্তি মিছন স্থাপন কৰি নগাৰাজ্যত হিংসাৰ জুই নুমাবলৈ চেষ্টা কৰিছিল, নিজৰ মন্ত্রীসভাত ভিন্ন দলীয় পার্বত্য নেতাকো স্থান দিছিল, অসমক ফেদাৰেচনলৈ ৰূপান্তৰিত কৰাৰ প্রস্তাৱ মানি লৈছিল, আৰু সকলো বিৰোধিতা আৰু সমালোচনাক আওকাণ কৰি প্রত্যেকটো বিবদমান প্রশ্নতে দ্বন্দ্ব আৰু ভেদনীতিৰ পৰিবর্তে সাম্য আৰু দান নীতিৰ প্রয়োগ কৰিছিল। সাপ্তাহিক নীলাচলৰ সম্পাদকক দিয়া এটা আছুতীয়া সাক্ষাৎকাৰত (১০ চেপ্তেম্বৰত, ১৯৬৯ চন) 'মুখ্যমন্ত্ৰী হিচাপে আপোনাৰ আটাইতকৈ ডাঙৰ সাফল্য কি?'— এই প্রশ্নৰ উত্তৰত চলিহাই নিজে কৈছিল ঃ এই সীমান্তৱর্তী প্রদেশখনত— য'ত নানান ভাষা-ভাষী, নানা ধর্মাবলম্বী লোকৰ নিবাসস্থান, তাত এটা সুস্থিৰ ৰাজনৈতিক অৱস্থাৰ ৰক্ষা কৰাটোৱেই এটা সাফল্যৰ কথা।' দেশৰ সমস্যাৱলীৰ লগত যিসকল লোকৰ প্রত্যক্ষ পৰিচয় নাই বা টমাচ্ জেফাৰচনৰ ভাষাত— Those whose positions will not command

a view of the whole ground— তেওঁলোকে হয়তো এই স্পৰ্শকাতৰ সীমান্তৱৰ্তী অঞ্চলত ৰাজনৈতিক সুস্থিৰতা ৰক্ষা কৰাটোৱেই কেনেকৈ এটা গুৰুত্বপূৰ্ণ কাম হ'ব পাৰে সেই কথা বুজি নাপাব। কিন্তু ভৱিষ্যতৰ ঐতিহাসিকে এই কামৰ প্ৰকৃত গুৰুত্ব নিশ্চয় এদিন উপলব্ধি কৰিব। এই কামৰ আউজনী লৈয়েই চলিহাই আৰু এটা ডাঙৰ কাম কৰি থৈ গৈছে। সেইটো হৈছে দেশৰ পূৰ্বাঞ্চলৰ নৱ-জাগ্ৰত জনজাতীয় চেতনাক ভাৰতৰ জাতীয় জীৱনৰ মূল প্ৰবাহৰ লগত সংযুক্ত বা অংশীভূত কৰাৰ কাম। যোৱা বাৰ বছৰে অসমত চলিহা নহৈ আন কোনোবা এজন কম কল্পনা-শক্তি সম্পন্ন লোক মুখ্যমন্ত্ৰী হৈ থকা হ'লে পূৰ্বাঞ্চলৰ জনজাতীয় আন্দোলনে কি ৰূপ ল'লেহেঁতেন বা দেশৰ কাৰণে কি নতুন ৰাজনৈতিক সমস্যাৰ সৃষ্টি কৰিলেহেঁতেন সেই কথা কোৱা টান।

বিমলাপ্ৰসাদ চলিহাৰ ব্যক্তিত্বত এনে কেইটামান বিশেষ গুণ আছিল যিকেইটা গুণে তেওঁক সৰ্বসাধাৰণ নেতা বা প্ৰশাসকৰ পৰা পৃথক কৰি জনমানসত এটা সুকীয়া স্থান দিছে। তেওঁ আছিল অসমীয়া পৰম্পৰাগত সংস্কৃতি আৰু জীৱন-ধাৰাৰ এটা অত্যুত্তম সৃষ্টি। তথাকথিত লিবাৰেল বা উদাৰ-চিতীয়া হ'বৰ কাৰণে তেওঁ সামাজিক আচৰণত কোনো প্ৰদৰ্শনকামিতাৰ পৰিচয় দিব লগা নহৈছিল বা ভাটো চৰাইৰ দৰে কিতাপৰ উক্তিৰো প্ৰতিধ্বনি কৰাৰ প্ৰয়োজন নহৈছিল। তেওঁৰ ইতিহাস-চেতনা আছিল অতি প্ৰবল আৰু ৰাজনৈতিক ক্ষেত্ৰত তেওঁ যি উদাৰতা আৰু দূৰদৰ্শিতাৰ পৰিচয় দিছিল, তাৰ প্ৰেৰণা তেওঁ ঘাইকৈ আহৰণ কৰিছিল অসমৰ বুৰঞ্জীৰ পৰাই। আৰু এটা ক্ষেত্ৰত তেওঁ আছিল অসমৰ পৰম্পৰাগত অভিজাত জীৱনধাৰাৰ উত্তৰসাধক। সৰ্বসাধাৰণ মানুহৰ ধাৰণা যে গণতান্ত্ৰিক সমাজত জনপ্ৰিয়তা লাভ কৰিবলৈ হ'লে মানুহে নিজৰ ৰুচি-অভিৰুচি আৰু আচাৰ-আচৰণৰ মানো নিম্নগামী কৰিব লাগে। চলিহাৰ জীৱন আছিল তেনে এটা ধাৰণাৰ মূৰ্ত প্ৰতিবাদ। জনতাৰ মানুহ হৈয়ো তেওঁ নিজৰ ব্যক্তিত্বৰ আভিজাত্য ৰক্ষা কৰি চলিছিল আৰু আধুনিক সমাজত লুপ্ত-প্ৰায় হৈ অহা এই সুৰুচি আৰু আভিজাত্যই তেওঁক জনসাধাৰণৰ পৰা আঁতৰাই নিয়াৰ পৰিবৰ্তে অধিক প্ৰীতি আৰু প্ৰশংসাৰ পাত্ৰহে কৰি তুলিছিল। তাৰ কাৰণ— চলিহা আছিল প্ৰকৃত সজ্জন বা জেণ্টেলমেন। বৰ্তমান কালত এই শ্ৰেণীৰ প্ৰাণী অতি দ্ৰুত গতিত লোপ পাই আহিছে।

অসমৰ বুৰঞ্জীত চলিহাই স্থায়ী আৰু নিৰ্ভুল স্বাক্ষৰ ৰাখি গৈছে। ইতিমধ্যেই তেওঁৰ মুখ্যমন্ত্ৰীত্বৰ কালছোৱাত 'চলিহা-যুগ' বুলি অভিহিত কৰা হৈছে, ভৱিষ্যতৰ ইতিহাসতো খুব সম্ভৱ ই এই নামেৰেই পৰিচিত হ'ব। এই সম্পৰ্কতে আমি এটা পৰামৰ্শ আগবঢ়াব খোজোঁ। যি অসম দেশ এসময়ত বুৰঞ্জী-ৰচনাৰ কাৰণে জগত-প্ৰসিদ্ধ আছিল, সেই অসমত আজি সমসাময়িক ঘটনাৱলীৰো নথি-প্ৰমাণ সংৰক্ষণ কৰাৰ প্ৰথা বিলুপ্ত হৈছে। ফলত ঐতিহাসিক বিৱৰণ আৰু বিচাৰৰ পৰিবৰ্তে আমি সকলো ক্ষেত্ৰতে অনুমান আৰু কিম্বদন্তীৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। ভৱিষ্যতৰ ঐতিহাসিকে যাতে ঘটনা-বহুল চলিহা-যুগৰ বস্তুনিষ্ঠ মূল্যায়ণৰ কাৰণে প্ৰয়োজনীয় সকলো সম্বল পাব পাৰে, তাৰ কাৰণে পাব পৰাতে থাকোঁতেই সকলো তথ্য আৰু নথি-পত্ৰ সংৰক্ষণ কৰা প্ৰয়োজন। সেই কাৰণে চলিহাৰ এখন পূৰ্ণাঙ্গ ৰাজনৈতিক জীৱনী এতিয়াই লিখি উলিওৱা উচিত। অসম চৰকাৰে প্ৰকাশন পৰিষদৰ যোগেদি উপযুক্ত লোকক কমিচন কৰি এই কাম কৰাব পাৰে। অসম চৰকাৰ আৰু চলিহাৰ জীৱিত সহকৰ্মীসকলে প্ৰয়োজনীয় সকলো তথ্য আৰু নথি-পত্ৰৰ যোগান ধৰি এই জীৱনী-গ্ৰন্থ নিখুঁত আৰু সম্পূৰ্ণ কৰি তুলিব লাগিব। এতিয়াৰ পৰাই এই কাম আৰম্ভ কৰিলে চলিহাৰ প্ৰথম মৃত্যু-বাৰ্ষিকীৰ দিনা এই জীৱনী-গ্ৰন্থই হ'ব তেওঁৰ স্মৃতিৰ উদ্দেশ্যে জাতিৰ শ্ৰেষ্ঠ শ্ৰদ্ধাঞ্জলি।

অহা পাঁচটা বছৰ

শ্ৰীমতী ইন্দিৰা গান্ধীয়ে যি বিচাৰিছিল ঠিক তাকেই পাইছে। বৰঞ্চ তেওঁ নিজে আশা কৰাতকৈ কিছু বেচিহে পাইছে। দেশৰ পৰা দাৰিদ্ৰ্য দূৰ কৰিবলৈ আৰু অৰ্থনৈতিক শোষণ বন্ধ কৰিবলৈ তেওঁ যিবোৰ কাৰ্য্যসূচী গ্ৰহণ কৰিব খোজে, সেইবোৰৰ প্ৰতি জন-সমৰ্থন বিচাৰি যোৱা মধ্যৱৰ্তী নিৰ্বাচনৰ যোগেদি তেওঁ ৰাইজৰ কাষ চাপিছিল। কিন্তু অন্য সকলো দলৰে প্ৰতিশ্ৰুতি আৰু চিএৰ-বাখৰ প্ৰায় সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰি ৫৫ কোটি মানুহৰ এই বিশাল দেশৰ অধিক সংখ্যক জনতাই অহা পাঁচ বছৰৰ কাৰণে দেশৰ ভাগ্য শ্ৰীমতী গান্ধীৰ হাতত সপি দিছে। এতিয়া তেওঁ কেনেকৈ এই প্ৰতিশ্ৰুতি পালন কৰে তাৰ প্ৰতি সমগ্ৰ দেশবাসীয়ে প্ৰতি মুহূৰ্ততে ব্যাকুল আগ্ৰহ আৰু সজাগ দৃষ্টিৰে লক্ষ্য কৰি থাকিব।

পাৰ্লিয়ামেণ্টত সংখ্যা-গৰিষ্ঠতা অৰ্জন কৰিবৰ উদ্দেশ্যেই শ্ৰীমতী গান্ধীয়ে চতুৰ্থ লোকসভা ভঙ্গ কৰি দি মধ্যৱৰ্তী নিৰ্বাচনৰ আয়োজন কৰিছিল। তেওঁৰ সেই আশা পূৰ্ণ হৈছে। কিন্তু মনত ৰখা দৰকাৰ যে ১৯৬৭ চনৰ আগলৈকে পাৰ্লিয়ামেণ্টৰ পৰা আৰম্ভ কৰি আটাইবোৰ ৰাজ্যিক বিধানসভাতে কংগ্ৰেছ দলেই আছিল সংখ্যা-গৰিষ্ঠ। ১৯৫৭ চনত গঠিত হোৱা দ্বিতীয় লোকসভাত কংগ্ৰেছ দলৰ সদস্য-সংখ্যা আছিল ৩৭১ জন, অৰ্থাৎ দুই-তৃতীয়াংশ সদস্য সংখ্যাতকৈ ২৩ জন বেছি। কিন্তু এনে নিৰঙ্কুশ সংখ্যা-গৰিষ্ঠতা হাতত থকা সত্বেও কংগ্ৰেছ দলে কোনো বৈপ্লৱিক কাৰ্য্যসূচী গ্ৰহণ নকৰিলে বা জনসাধাৰণক দিয়া প্ৰধান প্ৰতিশ্ৰুতিবোৰ পালন কৰিবলৈ বিশেষ একো চেষ্টা নকৰিলে। সৌ সিদিনালৈকে শ্ৰীমতী গান্ধীয়ে পাৰ্লিয়ামেণ্টত যি প্ৰয়োজনীয় ভোটাধিকাৰৰ অভাৱ অনুভৱ কৰিছিল, তেনে অভাৱ নেহৰু বা শাস্ত্ৰীৰ দিনত নাছিল। তথাপি তেওঁলোকে, বিশেষকৈ নেহৰুৱে প্ৰগতিশীল আৰু সমাজবাদী কাৰ্য্যসূচী হাতত ল'বলৈ বিশেষ চেষ্টা নকৰিলে ঘাইকৈ এই অজুহাতত যে দলৰ ভিতৰতেই বহুতে তেওঁৰ এই চেষ্টাত প্ৰচণ্ডভাৱে বাধা দিছিল। এতিয়া এই কথা স্পষ্টভাৱেই প্ৰমাণিত হৈছে যে ভাৰতবৰ্ষৰ সমাজ-ব্যৱস্থা নতুন সাঁচত গঢ়িবলৈ নেহৰুৰ যি পৰিমাণে ইচ্ছা আছিল, সেই পৰিমাণে ইচ্ছা-শক্তি নাছিল। দুটা বিপৰীতমুখী শক্তিৰ মাজত চলা অবিৰাম সংঘৰ্ষই নেহৰুৰ গোটেই জীৱন ক্ষত-বিক্ষত কৰি ৰাখিছিল। সেই শক্তি দুটা হৈছে তেওঁৰ দলৰ প্ৰতি থকা আনুগত্য আৰু নিজৰ বিশ্বাস বা আদৰ্শৰ প্ৰতি আনুগত্য। নেহৰুৱে ৰাজনৈতিক ক্ষমতাৰ লোভত অৱশেষত দলৰ সৰ্বশক্তিমান আৰু প্ৰতিক্ৰিয়াশীল গোষ্ঠীটোৰ ওচৰত নতি স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। শ্ৰীমতী গান্ধীৰ প্ৰথম আৰু প্ৰধান কৃতিত্ব এয়েই যে তেওঁ প্ৰধান মন্ত্ৰী হোৱাৰ কেই বছৰমানৰ ভিতৰত এই প্ৰতিক্ৰিয়াশীল গোষ্ঠীটোক দলৰ পৰা বহিষ্কাৰ কৰি দি কংগ্ৰেছ দলক এটা নতুন বৈপ্লৱিক ৰূপ দিলে। যি মুহূৰ্ততে কংগ্ৰেছ দল ভাগি দুটুকুৰা হৈ গ'ল, সেই মুহূৰ্ততে দলৰ আভ্যন্তৰীণ বাধাৰ কাৰণে কাম কৰিব নোৱৰাৰ এটা প্ৰধান অজুহাত নোহোৱা হৈ গ'ল। কিন্তু লগে লগে এটা নতুন অজুহাত আহি উপস্থিত হ'ল। এই বিভাজনৰ ফলত শ্ৰীমতী গান্ধীৰ দল পাৰ্লিয়ামেণ্টত হৈ পৰিল সংখ্যা-লঘিষ্ঠ। পৰমুখাপেক্ষী আৰু সংখ্যা-লঘিষ্ঠ চৰকাৰ এটাৰ পক্ষে এই গতিৰে কামত আগবঢ়া স্বাভাৱিকতেই কেতিয়াও সম্ভৱ নহয়। গতিকেই ব্যৱস্থা কৰিবলগীয়া হ'ল মধ্যৱৰ্তী নিৰ্বাচনৰ। এই নিৰ্বাচনৰ পৰিণামে শ্ৰীমতী গান্ধী আৰু তেওঁৰ

দলক দিছে সেই নিৰঙ্কুশ ক্ষমতা, যি ক্ষমতা কংগ্ৰেছে ভোগ কৰি আছিল ১৯৬২ চন পৰ্য্যন্ত। শ্ৰীমতী গান্ধীৰ সমুখত আজি এক চৰম প্ৰত্যাহ্বান উপস্থিত। তেওঁ এইবাৰ কাম কৰিবই লাগিব। ৰাইজক তেওঁ যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি তেওঁ আখৰে আখৰে পালন কৰিবই লাগিব। কাৰণ কাম কৰিব নোৱৰাৰ কোনো অজুহাতেই আজি তেওঁৰ হাতত নাই। তেওঁ এনে এটা দল বিচাৰিছিল— যিটো দল সোঁপন্থী প্ৰতিক্ৰিয়াশীল প্ৰভাৱৰ পৰা হ'ব সম্পূৰ্ণ মুক্ত। কংগ্ৰেছ দলক দুটুকুৰা কৰি দি তেওঁ নিজৰ এই উদ্দেশ্য সিদ্ধি কৰিছে। তেওঁ বিচাৰিছিল পাৰ্লিয়ামেণ্টত এনে এক সংখ্যা-গৰিষ্ঠতা— যাৰ জোৰত তেওঁ অন্য কোনো দলৰ চৰ্ত-সাপেক্ষ সমৰ্থনৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে বিনা-বাধাই নিজৰ বাটত আগবাঢ়ি যাব পাৰিব। মধ্যৱৰ্তী নিৰ্বাচনৰ ফলাফলে তেওঁৰ এই আশাও পূৰ্ণ কৰিছে। মুঠতে তেওঁ যি বিচাৰিছিল ৰাইজে তেওঁক তাকেই দিছে; এতিয়া ৰাইজে যি বিচাৰিছে সেইখিনি দিয়াৰ দায়িত্ব তেওঁৰ।

অৱশ্যে ৰাইজৰ আশা পূৰ্ণ কৰিবলৈ শ্ৰীমতী গান্ধী কিমানদূৰ সমৰ্থ হ'ব সেই বিষয়ে যথেষ্ট সন্দেহৰ অৱকাশ আছে। উদাহৰণ স্বৰূপে ভূমি-সংস্কাৰৰ কথাই ধৰা যাওক। অবিভক্ত কংগ্ৰেছৰেই দহ-দফীয়া কাৰ্য্যসূচীৰ অন্যতম প্ৰস্তাৱ আছিল প্ৰগতিশীল ভূমি সংস্কাৰ। ধনী খেতিয়ক আৰু জমিদাৰৰ হেঁচাত পৰি সুদীৰ্ঘ ২৩ বছৰ কাল চৰকাৰে এই ক্ষেত্ৰত বিশেষ একো কামেই নকৰিলে। কংগ্ৰেছৰ বিভাজনৰ পাচত শ্ৰীমতী ইন্দিৰা গান্ধীয়ে ভূমি-সংস্কাৰৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দিছিল। কিন্তু প্ৰতিক্ৰিয়াশীলতাৰ প্ৰভাৱ-মুক্ত পৰিশুদ্ধ কংগ্ৰেছ অৰ্থাৎ সমাজবাদী নৱ-কংগ্ৰেছেও যোৱা দুবছৰ ধৰি গৰীব মাটিহীন খেতিয়কৰ স্বাৰ্থত ভূমি-সংস্কাৰ কৰাৰ কোনো প্ৰয়োজন দেখা নাই। এই ক্ষেত্ৰত অন্ধ্ৰ-প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰীব্ৰহ্মানন্দ ৰেড্ডী আদি 'সমাজবাদী' কংগ্ৰেছীসকলৰ প্ৰচণ্ড বিৰোধিতা এটা জাতীয় কেলেঙ্কাৰীত পৰিণত হৈছে। ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত সম্প্ৰতি একমাত্ৰ পশ্চিম বঙ্গতে ভূমি-সংস্কাৰৰ কাম কিছু ক্ষিপ্ৰ গতিৰে আগবাঢ়িছে; কিন্তু এই কথা সকলোৱেই জানে যে পশ্চিম বঙ্গত এই তৎপৰতাৰ একমাত্ৰ কাৰণ হ'ল বামপন্থী দলসমূহৰ প্ৰচণ্ড হেঁচা আৰু প্ৰত্যাহ্বান। অৰ্থাৎ নৱ-কংগ্ৰেছেও স্বেচ্ছা-প্ৰণোদিত হৈ ভূমি-সংস্কাৰৰ কামত আন্তৰিকভাৱে আগুৱাই হোৱা নাই; কেৱল নিজৰ অস্তিত্ব ৰক্ষাৰ তাগিদাৰ হেঁচাত পৰিহে ঠায়ে ঠায়ে সামান্য কিছু কাম কৰিছে। এতিয়া কেন্দ্ৰ আৰু প্ৰায়বোৰ ৰাজ্যতে কংগ্ৰেছে পুনৰ নিৰঙ্কুশ ক্ষমতা দখল কৰাৰ পাচত এই চৰকাৰে ভূমি-সংস্কাৰকে ধৰি দহ-দফীয়া কাৰ্য্য-সূচী বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত কিমান ক্ষিপ্ৰতা আৰু আন্তৰিকতাৰে আগবাঢ়ে তাৰ প্ৰতি দেশবাসীয়ে সজাগ দৃষ্টি ৰাখিব। এইবাৰ দলৰ ভিতৰৰ পৰা অহা আভ্যন্তৰীণ বাধাক কাম নকৰাৰ অজুহাত হিচাবে ব্যৱহাৰ কৰিলে জনতাই শ্ৰীমতী গান্ধী বা তেওঁৰ দলক কেতিয়াও ক্ষমা নকৰিব। যিবোৰ প্ৰতিশ্ৰুতিত মুগ্ধ হৈ দেশবাসীয়ে শ্ৰীমতী গান্ধীৰ প্ৰতি অকুণ্ঠ সমৰ্থন আগবঢ়াইছে, সেইবোৰ পালন কৰাৰ ক্ষেত্ৰত দলৰ ভিতৰৰে কোনোবাই সামান্যভাৱে বাধা দিলেও শ্ৰীমতী গান্ধীৰ একমাত্ৰ কৰ্তব্য হ'ব তেনেবোৰ লোকক ততালিকে দলৰ পৰা বহিষ্কাৰ কৰি দিয়া। আমি ভাবোঁ যে কংগ্ৰেছ দলৰ দ্বিতীয় আৰু চূড়ান্ত বিভাজন হ'বলৈ এতিয়াও বাকী আছে। সেই বিভাজন যিমান সোনকালে হয় সিমানেই দেশৰ কাৰণে মঙ্গল।

জনসাধাৰণৰ নৱ-জাগ্ৰত আশা-আকাঙ্ক্ষাই নতুন চৰকাৰৰ পৰা কি কি কাম অতি জৰুৰীভাৱে দাবী কৰে, সেইবোৰ কথা যথাসময়ত আমি বিশদভাৱে আলোচনা কৰিম। কিন্তু সদ্যহতে এটা কথা বিশেষভাৱে কৈ থোৱা প্ৰয়োজন বুলি আমি অনুভৱ কৰিছোঁ। কেৱল চৰকাৰী প্ৰচেষ্টাৰ দ্বাৰাই ভাৰতবৰ্ষৰ দৰে এখন বিশাল সমাজৰ চেহেৰা আৰু মানসিকতা ৰাতিটোৰ ভিতৰতে সলনি কৰি দিব নোৱাৰি। বিপুল সংখ্যক

ভোটেৰে শ্ৰীমতী গান্ধীক জয়যুক্ত কৰি দিয়াৰ কাৰণেই প্ৰতিটো কামৰ কাৰণে কেৱল তেওঁৰ মুখলৈকে চাই ৰাইজ নিচেষ্ট হৈ বহি থাকিলে দেশত এক নতুন ধৰণৰ পেটাৰ্ণেলিজম (অথবা মেটাৰ্নিলিজম্?) বা অভিভাৱকতন্ত্ৰহে জন্ম দিয়া হ'ব, আৰু ই হ'ব ছদ্মবেশী একনায়কত্ববাদৰ সূচনা। ভাৰতবৰ্ষত অৰ্থনৈতিক পুনৰ্বিন্যাসৰ প্ৰথম চৰ্ত হ'ল ভাৰতীয় সমাজৰ প্ৰকৃত আধুনিকীকৰণ। অষ্টাদশ শতিকাৰ মন এটা লৈ কোনেও বিংশ শতিকাৰ উপযোগী আধুনিক ঔদ্যোগিক সমাজ এখন গঢ়ি তুলিব নোৱাৰে। এজন বিদেশী সাংবাদিকে কোৱাৰ দৰে হিন্দু কাৰিকৰ আৰু ইঞ্জিনীয়াৰসকলে বছৰত একোবাৰকৈ যন্ত্ৰৰ দেৱতা বিশ্বকৰ্মাৰ পূজা কৰে; কিন্তু যন্ত্ৰই পূজা নিবিচাৰে, ই বিচাৰে কেৱল কঠোৰ পৰিশ্ৰম, নিখুঁট কাৰিকৰী-জ্ঞান আৰু বোধশক্তি। ভাৰতীয় দৃষ্টিভংগী আৰু মানসিকতাক মধ্যযুগীয় অচলায়তনৰ পৰা মুক্ত কৰি কেনেকৈ আধুনিক যুগৰ নতুন ৰাজপথলৈ উলিয়াই অনা যায়, সি আজি সমাজৰ নেতা আৰু নিৰ্মাতাসকলৰ সন্মুখত এটা ডাঙৰ সমস্যা। দেশৰ সমাজকৰ্মী, বুদ্ধিজীবী, বিজ্ঞানী, অৰ্থনীতিবিদ আৰু ৰাজনৈতিক নেতা— এই সকলো লোকৰে মনোযোগ এই জৰুৰী কামৰ প্ৰতি আকৃষ্ট হোৱা প্ৰয়োজন।

আৰু দুই এদিনৰ ভিতৰতে দেশত নতুন চৰকাৰ গঠিত হ'ব। যোৱা তেইশবছৰ ধৰি কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীসভাত অসমৰ প্ৰতিনিধিত্ব এনে অকিঞ্চিৎকৰ হৈ আছে যে সি এই ৰাজ্যৰ অধিবাসীবৃন্দৰ এটা স্থায়ী মনোকষ্টৰ কাৰণ হৈ আছে। এইবাৰ অসমে শতকৰা এশজন কংগ্ৰেছী প্ৰাৰ্থীকেই নিৰ্বাচিত কৰি এই দলৰ নেতৃত্বৰ ওপৰত অভাৱনীয় আৰু অভূতপূৰ্ব আস্থা স্থাপন কৰিছে। গতিকে আমি এই আশা কৰাটো নিশ্চয় অন্যায় নহ'ব যে নৱ-নিৰ্বাচিত প্ৰধান মন্ত্ৰীয়ে এইবাৰৰ নতুন কেন্দ্ৰীয় মন্ত্ৰীসভাত অসমক যথোপযুক্ত প্ৰতিনিধিত্ব দি এই আওহতীয়া আৰু অৱহেলিত ৰাজ্যখনকো নতুন ভাৰত নিৰ্মাণ প্ৰচেষ্টাৰ সমান অংশীদাৰ কৰি তুলিব। দ্বিতীয়তে, এইবাৰ ভাৰতৰ প্ৰায় আটাইবোৰ ৰাজ্যই আঞ্চলিক দলবোৰক প্ৰত্যাখ্যান কৰি শ্ৰীমতী গান্ধীৰ নেতৃত্বাধীন নতুন কংগ্ৰেছৰ সম-দৃষ্টি আৰু ন্যায়-বিচাৰৰ ওপৰত আস্থা স্থাপন কৰিছে। সেই আস্থাৰ প্ৰতিদান স্বৰূপে অসমৰ দৰে অৱহেলিত আৰু অনগ্ৰসৰ ৰাজ্যই দ্ৰুত উন্নতিৰ সুবিধা পাবলৈ আৰু অৰ্থনৈতিক শোষণৰ পৰা মুক্ত হ'বলৈ আশা কৰে। সম্প্ৰতি পূৰ্ব পাকিস্তানত সংঘটিত হোৱা ঘটনাৱলীয়েও এই ক্ষেত্ৰত কেন্দ্ৰীয় নেতৃবৰ্গৰ চকু মুকলি কৰা উচিত।

চতুৰ্থ লোকসভা ভঙ্গ কৰি দিয়াৰ আগমুহূৰ্তত শ্ৰীমতী গান্ধীয়ে কৈছিল যে দেশৰ জনসাধাৰণ জাগ্ৰত হৈ উঠিছে, আৰু আমি যদি তেওঁলোকৰ আশা-আকাঙ্ক্ষা পূৰ্ণ নকৰো, তেন্তে তেওঁলোকে কাৰো কাৰণে ৰৈ নাথাকিব। এই কথা সম্পূৰ্ণ সত্য। দেশবাসীয়ে তেওঁক আৰু তেওঁৰ দলক সদ্যহতে পাঁচ বছৰ সময় দিছে। এই পাঁচ বছৰৰ ভিতৰতে তেওঁ কাম কৰি দেখুৱাব লাগিব। যদি নোৱাৰে, তেন্তে কোটি কোটি হৃদয়ৰ যি স্বতঃস্ফূৰ্ত সমৰ্থন আৰু উচ্ছ্বাসৰ প্ৰকাণ্ড জোৱাৰে তেওঁক এই বিশাল দেশৰ অপ্ৰতিদ্বন্দ্বীনী নেত্ৰীৰ পদত অধিষ্ঠিত কৰিছে, সেই একেটা জোৱাৰেই সম্পূৰ্ণ বিপৰীত ৰূপ লৈ তেওঁক অখ্যাতি আৰু অগৌৰৱৰ অতল গৰ্ভলৈ উটুৱাই লৈ যাব। ইতিহাসত এনে ঘটনা বহুবাৰ ঘটি আহিছে, আৰু ভৱিষ্যতলৈকো ঘটিব।

কিন্তু নতুন যাত্ৰাৰ প্ৰথম শুভ মুহূৰ্তৰ সমগ্ৰ দেশবাসীৰ অকুণ্ঠ অভিনন্দন আৰু শুভইচ্ছা এই অসামান্যা বীৰাঙ্গণাৰ সম্পূৰ্ণ ৰূপে প্ৰাপ্য। যি বিৰাট দায়িত্ব পালন কৰিবলৈ তেওঁ আগবাঢ়িছে সেই কামত তেওঁ সফল হওক- এয়ে আমাৰ কামনা।

সাপ্তাহিক নীলাচল, ১২৫ সংখ্যা : ২৪ মাৰ্চ, ১৯৭১

'বাংলাদেশৰ' স্বাধীনতা-আন্দোলন

"........... স্বাধীন বাংলাদেশৰ বীৰ নায়ক চেখ মুজিবুৰ ৰহমানৰ জয় হওক।"

সাপ্তাহিক নীলাচল : ১০ ফেব্ৰুৱাৰী

ভাৰতৰ বুকুৰ যি এটা অঞ্চল মাত্ৰ ২৩ বছৰ আগতে পূৰ্ব পাকিস্তান বুলি নতুন নামেৰে ঘোষিত হৈছিল, সি আজি নিজকে বাংলাদেশ বুলি ঘোষণা কৰিছে। মনত ৰখা দৰকাৰ যে এই ঘটনা কেৱল এটা নামৰ পৰিবৰ্তনেই নহয়, ই এটা সমগ্ৰ জাতিৰ ৰাজনৈতিক দৰ্শন আৰু দৃষ্টিভঙ্গীৰ আমূল পৰিবৰ্তনৰ সূচনা। ইয়াৰ ঐতিহাসিক তাৎপৰ্য্য অতি গভীৰ আৰু সুদূৰ-প্ৰসাৰী।

পূৰ্ব পাকিস্তান তথা বাংলাদেশত আজি যিবোৰ ঘটনা ঘটিব লাগিছে তাৰ একাধিক ঐতিহাসিক তাৎপৰ্য্য আছে।

প্ৰথমতে, আধুনিক কালত মহাত্মা গান্ধীয়ে গণ-সংগ্ৰামৰ যি এক নতুন টেকনিক বা কৌশল উদ্ভাৱন কৰিছিল আৰু পৃথিৱীৰ একাধিক দেশত যি কৌশল বিক্ষিপ্তভাৱে অৱলম্বন কৰা হৈছে, চেখ মুজিবুৰ ৰহমানৰ নেতৃত্বত বাংলাদেশত তাৰ সফলতম পৰীক্ষা চলিব ধৰিছে। এই ঐতিহাসিক সংগ্ৰামৰ চূড়ান্ত সাফল্যই পৃথিৱীৰ বহু নিপীড়িত মানুহক মুক্তি-সংগ্ৰামৰ এই নতুন কৌশলৰ প্ৰতি আকৃষ্ট কৰিব আৰু স্বাধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে উদ্বুদ্ধ কৰিব।

দ্বিতীয়তে, বাংলাদেশৰ এই মুক্তি সংগ্ৰামে নতুনকৈ প্ৰমাণ কৰিলে যে মধ্যযুগীয় থিয়ক্ৰেটিক বা ধৰ্মীয় ৰাষ্ট্ৰৰ আদৰ্শ আধুনিক কালত অচল। ধৰ্মতকৈ অৰ্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থকহে আধুনিক মানুহে অধিক গুৰুত্ব আৰু অগ্ৰাধিকাৰ দিয়ে। বাংলাদেশৰ এই আন্দোলনে ভাৰত উপমহাদেশত সা প্ৰদায়িক ৰাজনীতিৰ অৱসান ঘটোৱাত সহায় কৰিব।

অসমৰ নিকটতম প্ৰতিবেশী হিচাবে আধুনিক আদৰ্শৰ ভেটিত প্ৰতিষ্ঠিত বাংলাদেশে আমাৰ ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনতো বহুতো মঙ্গলজনক প্ৰতিক্ৰিয়াৰ সূচনা কৰিব। যোৱা ২৩ বছৰ ধৰি পাকিস্তানে অনুসৰণ কৰা সাম্প্ৰদায়িক নীতিৰ ফলত পূৰ্ব পাকিস্তানৰ পৰা দলে দলে হিন্দু মানুহ ভাগি আহি অসমত প্ৰৱেশ কৰাৰ ফলত অসমত এটা সাংস্কৃতিক সংঘৰ্ষ আৰু সঙ্কটৰ পূৰ্বাভাস দেখা গৈছিল। স্বাধীন বাংলাদেশে ধৰ্ম-নিৰপেক্ষ নীতি অনুসৰণ কৰিব বুলি আশা কৰা গৈছে, আৰু তাৰ ফলত এনে ধৰণৰ ব্যাপক প্ৰব্ৰজন বন্ধ হ'ব। সেয়েহে যদি হয়, তেতিয়া অসমেও এটা আসন্ন সাংস্কৃতিক আৰু অৰ্থনৈতিক সঙ্কটৰ পৰা ৰক্ষা পৰিব।

বাংলাদেশে পূৰ্ণ স্বায়ত্ত-শাসন বা স্বাধীনতা দাবী কৰাৰ মূল কাৰণ হ'ল এইয়েই যে পাকিস্তানৰ অখণ্ড জাতীয় ঐক্যৰ দোহাই দি পশ্চিম পাকিস্তানে যোৱা ২৩ বছৰ ধৰি পূৰ্ব পাকিস্তানক অৰ্থনৈতিকভাৱে শোষণ কৰিছিল আৰু সেই দেশৰ নিজস্ব সাংস্কৃতিক সত্তা বিলুপ্ত কৰি দিবলৈ চেষ্টা কৰিছিল। ভাৰততো অনুৰূপ

ঘটনা নঘটাকৈ থকা নাই। এই দেশবো অসমৰ দৰে নিশকতীয়া অঞ্চলবোৰ বহিৰাগতৰ উপনিবেশত পৰিণত হৈছে আৰু অসমীয়া ভাষা-সংস্কৃতি নিজৰ দেশতে সংখ্যালঘিষ্ঠ মানুহৰ ভাষা-সংস্কৃতিত পৰিণত হৈ বিলুপ্ত হোৱাৰ উপক্ৰম হৈছে। বাংলাদেশৰ ঘটনাৱলীয়ে এনে বিপদৰ প্ৰতি ভাৰতীয় নেতৃবৃন্দৰ চকু মুকলি কৰিব আৰু উপযুক্ত ৰক্ষণা-বেক্ষণৰ অভাৱত অসমৰ নিচিনা গুৰুত্বপূৰ্ণ অঞ্চলতো যাতে অনুৰূপ শোষণজনিত সাংস্কৃতিক সংঘৰ্ষ নঘটে তাৰ প্ৰতি ভাৰতৰ নেতাসকলক সচেতন কৰি তুলিব। ইতিমধ্যে এটা কথা শুনা গৈছে যে ভাৰত চৰকাৰে বাংলাদেশ স্বাধীন হোৱাটো নিবিচাৰে; কাৰণ তেতিয়া হ'লে অসম আৰু পশ্চিমবংগৰ দৰে জটিল সমস্যাকীৰ্ণ অঞ্চলবোৰত তাৰ প্ৰতিক্ৰিয়া দেখা দিব পাৰে। বাংলাদেশৰ ঘটনাৱলীয়ে আমাক এই শিক্ষাই দিয়ে যে ভাৰত উপ-মহাদেশৰ দৰে বিশাল অঞ্চলত য'ত অজস্ৰ উপ-সংস্কৃতি (Sub-Culture) আৰু ভাষা বিৰাজ কৰিছে, তাত প্ৰত্যেকটো ভাষা আৰু উপ-সংস্কৃতিৰ পৰিপূৰ্ণ ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা নহ'লে আৰু অৰ্থনৈতিক শোষণ বন্ধ নহ'লে সাংস্কৃতিক সংঘৰ্ষ অনিবাৰ্য্য আৰু তাৰ ফলত দেশৰ ঐক্যও বিপদাপন্ন হ'ব পাৰে। বাংলাদেশৰ ঘটনাৱলীৰ এই শিক্ষাই ভাৰতৰ নেতাসকলকো এক উদাৰ সম-দৃষ্টি গ্ৰহণ কৰিবলৈ বাধ্য কৰিব আৰু এখন ৰাজ্যৰ পৰা আহি আন এখন ৰাজ্যত বাস কৰা অন্য ভাষী লোকসকলকো গৃহস্থ ৰাজ্যবোৰৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাবান হ'বলৈ শিক্ষা দিব।

বাংলাদেশৰ স্বাধীনতাৰ আন্দোলন আধুনিক কালৰ এটা অতি তাৎপৰ্য্যপূৰ্ণ ঘটনা। এই আন্দোলনে ধৰ্ম-নিৰপেক্ষতাৰ আদৰ্শক শক্তিশালী কৰি ভাৰতৰ ৰাজনীতিতো এটা মঙ্গলজনক প্ৰভাৱ পেলাইছে। শেখ মুজিবুৰ ৰহমানৰ নেতৃত্বত এক নতুন মূল্যবোধৰ কাৰণে বীৰত্বপূৰ্ণ সংগ্ৰাম কৰা বাংলাদেশৰ চাৰে সাত কোটি মানুহলৈ আমি আমাৰ পৰিপূৰ্ণ নৈতিক সমৰ্থন আগবঢ়াইছোঁ।

স্পেইনৰ গৃহযুদ্ধৰ কথা মনত পেলাওক

"........... পশ্চিম পাকিস্তানে যদি এই গণতান্ত্রিক ৰায় মানি নলয় আৰু ৰহমানক বাধা দিয়ে তেতিয়া কি হ'ব? তেতিয়া খুব সম্ভব এক প্রচণ্ড গৃহযুদ্ধ আৰু গণ-বিপ্লৱে পাকিস্তানৰ ইতিহাস ৰক্তাক্ত কৰি তুলিব।"

সাপ্তাহিক নীলাচল : ১০ ফেব্রুৱাৰী

পাকিস্তানৰ মিলিটাৰী ডিক্টেটৰ জেনেৰেল ইয়াহিয়া খানে ঢাকাত শ্বেইখ মুজিবুৰ ৰহমানৰ লগত ১১ দিন ধৰি আলোচনাৰ ভেকো-ভাওনা পতাৰ পিচত যোৱা ২৫ মাৰ্চ তাৰিখে মাজৰাতি হঠাতে তেওঁ কৰাচীলৈ ঘূৰি গ'ল আৰু ২৬ তাৰিখে সন্ধিয়া চাৰে সাত বজাত ৰেডিঅ' পাকিস্তানৰ পৰা শুনা গ'ল তেওঁৰ বহু প্ৰতীক্ষিত কণ্ঠস্বৰ : 'জাতিৰ উদ্দেশ্যে ৰাষ্ট্ৰপতিৰ অনাতাঁৰ ভাষণ।' মিলিটাৰী ডিক্টেটৰৰ সমস্ত দম্ভ আৰু উদ্ধত্বৰে সৈতে তেওঁ ঘোষণা কৰিলে যে 'এই মানুহজন (অৰ্থাৎ চেখ মজিবুৰ ৰহমান) আৰু তেওঁৰ দল পাকিস্তানৰ শত্ৰু, আৰু তেওঁলোকৰ দেশদ্ৰোহিতাৰ অপৰাধৰ শাস্তি নোহোৱাকৈ কেতিয়াও নাথাকে। মনত ৰখা দৰকাৰ যে পাকিস্তানৰ সৰ্বমুঠ প্ৰায় বাৰ কোটি মানুহৰ ভিতৰত চাৰে সাত কোটিয়েই পূৰ্ব পাকিস্তান অৰ্থাৎ বাংলাদেশৰ অধিবাসী। এই কথাও মনত ৰখা দৰকাৰ যে মাত্ৰ কেইমাহমানৰ আগতে হৈ যোৱা পাকিস্তানৰ সৰ্বপ্ৰথম গণতান্ত্ৰিক নিৰ্বাচনত বাংলাদেশৰ চাৰে সাত কোটি মানুহে শ্বেইখ মুজিবুৰ ৰহমানৰ দলকেই শতকৰা নিৰান্নবৈখন আসনত জয়যুক্ত কৰি এই মানুহজন আৰু তেওঁৰ দলক বাংলাদেশৰ একমাত্ৰ প্ৰতিনিধি ৰূপে স্বীকাৰ কৰি লৈছে। অতএব আজি যদি চেখ মজিবুৰ ৰহমান আৰু তেওঁৰ দল পাকিস্তানৰ শত্ৰু হয়, তেন্তে ক'ব লাগিব বাংলাদেশৰ চাৰে সাত কোটি মানুহ অৰ্থাৎ পাকিস্তানৰ সংখ্যাগৰিষ্ঠ অধিবাসীয়েই পাকিস্তানৰ শত্ৰু। এখন দেশৰ শতকৰা ষাঠী ভাগ মানুহক সেই দেশৰ শত্ৰু বুলি ঘোষণা কৰাৰ পাচত সেই দেশৰ ঐক্যবদ্ধ অস্তিত্বৰ কিবা ভবিষ্যৎ থাকিব পাৰেনে?

হিন্দু আৰু মুছলমান দুটা ভিন্ন জাতি— এই মধ্যযুগীয়া অচল তত্ত্বৰ ভেটিত প্ৰতিষ্ঠিত পাকিস্তান ৰাষ্ট্ৰ আজি মাত্ৰ চৌবিশ বছৰৰ ভিতৰত পুনৰ এটা নতুন দ্বি-জাতিৰ তত্ত্বৰ ভেটিত বিভক্ত হোৱাৰ উপক্ৰম হৈছে। এই নতুন জাতি দুটা হিন্দু আৰু মুছলমান নহয়, জাতি দুটা বাংলাদেশী আৰু পাঞ্জাবী। অৱশ্যে সেই বুলি এই কথা ভাবিলে ভুল কৰা হ'ব যে পাঞ্জাবীসকলৰ বিৰুদ্ধে সাম্প্ৰদায়িক বা সাংস্কৃতিক বিদ্বেষৰ কাৰণেহে বাংলাদেশে স্বাধীনতা দাবী কৰিছে। পাকিস্তানৰ প্ৰতিষ্ঠিত ইতিহাস বৰ বেছি পুৰণি নহয়। ইতিহাসৰ খবৰ ৰখা মানুহে এই কথা নিশ্চয় মনত ৰাখিছে যে মুছলমানৰ কাৰণে এখন সুকীয়া ৰাষ্ট্ৰ অৰ্থাৎ পাকিস্তান প্ৰতিষ্ঠাৰ কাৰণে পূৰ্ববঙ্গৰ বাঙালীসকলেই আটাইতকৈ বেছিকৈ চিঞৰ-বাখৰ কৰিছিল আৰু আন্দোলন কৰিছিল। পাকিস্তানৰ প্ৰথম বীজ অঙ্কুৰিত হৈছিল ঢাকাতহে, কৰাচীত বা লাহোৰত নহয়। পূৰ্ববঙ্গৰ মহাপ্ৰতাপশালী হিন্দু জমিদাৰসকলৰ চৰম শোষণ আৰু অত্যাচাৰত অতিষ্ঠ হৈ সেই দেশৰ কোটি কোটি শোষিত আৰু পদদলিত বাঙালী কৃষকে স্বপ্ন দেখিছিল যে এখন সুকীয়া মুছলমান ৰাষ্ট্ৰ স্থাপন কৰিব পাৰিলেই তেওঁলোকে হয়তো শোষণৰ পৰা মুক্তি পাব আৰু সাম্যৰ আদৰ্শত বিশ্বাসী ইছলামৰ ছত্ৰ-ছায়াত

সামাজিক ন্যায় আৰু সুবিচাৰৰ মুখ দেখিব। কিন্তু পাকিস্তান প্ৰতিষ্ঠিত হোৱাৰ এবছৰ পুৰ হ'বলৈ নৌপাওঁতেই তেওঁলোকৰ প্ৰথম মোহ-ভঙ্গ ঘটিল। ১৯৪৮ চনত জিন্না চাহাবে ঢাকালৈ আহি ঘোষণা কৰিলে যে পাকিস্তানৰ ৰাষ্ট্ৰভাষা হ'ব উৰ্দু; বাংলা ভাষাৰ তাত কোনো স্থান নাই। সিয়েই হ'ল বাংলাদেশৰ স্বাধীনতাৰ স্বপ্নৰ প্ৰথম সূচনা আৰু অঙ্কুৰোদ্‌গম। তাৰপাচত বছৰবোৰ বাগৰাৰ লগে লগে দেখা গ'ল যে পূৰ্ব্ববঙ্গৰ যি কোটি কোটি সৰ্বহাৰা খেতিয়কে হিন্দু জমিদাৰৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ বিচাৰি ইছলামৰ ছত্ৰ-ছায়াত আশ্ৰয় বিচাৰিছিল, সেই মানুহবোৰৰ অৱস্থা হ'ল তপত খোলাৰ পৰা গৈ জ্বলা জুইত পৰাৰ দৰে; হিন্দু জমিদাৰৰ ঠাইত এইবাৰ শোষণৰ অস্ত্ৰ লৈ তেওঁলোকৰ চোতালত আহি উপস্থিত হ'ল পশ্চিম পাকিস্তানৰ শক্তিশালী জমিদাৰ, শিল্পপতি আৰু তেওঁলোকৰ বিশ্বস্ত অনুচৰ মিলিটাৰী শাসকবৰ্গ। বাংলাদেশৰ অধিবাসীসকলৰ এই নিদাৰুণ মোহভঙ্গই মাত্ৰ এটা কথাই প্ৰমাণ কৰে, সেইটো হ'ল এই যে শোষকৰ কোনো ধৰ্ম নাই, পৃথিৱীৰ সমস্ত শোষকৰে লক্ষ্য আৰু পথ একেটাই। আচলতে কথা এয়েহে যে ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়েও ১৯৪৩ চনতে এটা প্ৰস্তাৱৰ যোগেদি ধৰ্মৰ ভেটিত ভাৰতক বিভক্ত কৰাৰ প্ৰস্তাৱ সমৰ্থন কৰিছিল।

১৯৪০ চনতে মুছলিম লীগে এটা ঐতিহাসিক প্ৰস্তাৱৰ যোগেদি ঘোষণা কৰিছিল যে পাকিস্তান প্ৰতিষ্ঠিত হ'লেও বিভিন্ন প্ৰদেশবোৰক সম্পূৰ্ণ স্বায়ত্ত-শাসন দিয়া হ'ব। কিন্তু পাকিস্তানৰ জন্মৰ পাচত দেখা গ'ল যে প্ৰদেশবোৰক স্বায়ত্ত-শাসন দিবলৈ হ'লে পূৰ্ববঙ্গই সাংখ্যাধিক্যৰ জোৰত নিজেই নিজৰ ভাগ্যৰ নিয়ন্তা হ'ব আৰু পশ্চিম পাকিস্তানে পূৰ্ব পাকিস্তানক অবাধে শোষণ কৰিবলৈ কোনো সুবিধা নাপাব। যোৱা চৌবিশ বছৰে পাকিস্তানত মুক্ত গণতন্ত্ৰ প্ৰতিষ্ঠা হ'বলৈ নিদিয়াৰ ইয়েই হ'ল এটা মূল কাৰণ। কিন্তু আধুনিক জগতত কোটি কোটি মানুহৰ ন্যায্য আশা-আকাঙ্খাক এনে কৃত্ৰিম উপায়েৰে দমন কৰি ৰখা কেতিয়াও সম্ভৱ নহয়। আজি বাংলাদেশৰ চাৰে সাত কোটি মানুহে যিভাবে গৰ্বিত সামৰিক শাসনৰ ৰঙা চকু আৰু গুলী-বেয়নেটলৈ ভ্ৰূক্ষেপ নকৰি মূৰ দাঙি উঠিছে, সি এটা সাধাৰণ বিচ্ছিন্নতাবাদী আন্দোলন নহয়; সি হ'ল শোষিত জনতাৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম। এই সংগ্ৰামৰ প্ৰতি আকুণ্ঠ সহায়-সমৰ্থন আগ বঢ়োৱাটো সমগ্ৰ বিশ্ববাসীৰেই নৈতিক কৰ্ত্তব্য।

বাংলাদেশ যে অতি সোনকালে স্বাধীন হ'ব সেই বিষয়ে কোনো সন্দেহ নাই। মনত ৰখা দৰকাৰ যে অবিভক্ত ভাৰতৰ যিকেইখন প্ৰদেশৰ নামৰ আদ্যাক্ষৰ লৈ পাকিস্তান নামটো গঠিত হৈছে তাত পূৰ্ব্ববংগৰ কোনো উল্লেখ নাই। {Pakistan = Punjab + Afgania (North-West frontier Province) + Kashmir + Sind + Stan} পাকিস্তানৰ জন্ম-লগ্নতেই সেই ৰাষ্ট্ৰৰ নামৰ পৰা বাংলাদেশক বাদ দি থোৱা হৈছে। কিন্তু বাংলাদেশে এই স্বাধীনতাৰ কাৰণে বুকুৰ ৰক্ত ঢালি মূল্য দিব লাগিব। প্ৰকৃতিতে কোনো ভুলৰ কোনো ক্ষমা নাই। পূৰ্ব্ববঙ্গই এদিন সাম্প্ৰদায়িক ৰাজনীতিত মত্ত হৈ যি ভুল কৰিছিল আজি সেই ভুলৰ প্ৰায়চিত্ত কৰাৰ দিন উপস্থিত হৈছে। আমি কেৱল আশা কৰিম যে বাংলাদেশৰ বীৰ জনসাধাৰণে যেন ৰক্ত-স্নান কৰি শুদ্ধ হৈ চৰম দুখ আৰু ত্যাগ স্বীকাৰৰ মূল্য দি যি স্বাধীনতা ক্ৰয় কৰিব, সেই স্বাধীনতা যেন সঁচা স্বাধীনতা হয় আৰু সি যেন সেই দেশৰ কোটি কোটি মানুহলৈ নতুন সুখী জীৱনৰ পোহৰ কঢ়িয়াই আনে। নিমখ আৰু কৰ্কৰা ভাত খাই জীৱন কটোৱা ভিয়েটনামৰ শীৰ্ণকায় খেতিয়কবোৰকেইটাক বিশ্বৰ ইতিহাসৰ বৃহত্তম সামৰিক শক্তিয়ে আজি কুৰি বছৰে যুদ্ধ কৰিও গাৰ নোম এডালকে লৰাব পৰা নাই; বাংলাদেশৰ শাকান্নভোজী বনুৱা আৰু খেতিয়ককেইটাকো পাকিস্তানী শাসক-চক্ৰৰ তুচ্ছ সামৰিক শক্তিয়ে কেতিয়াও সেও মনাব নোৱাৰে।

গৰ্বান্ধ শোষক আৰু শাসকৰ দলে যে শোচনীয়ভাৱে পৰাজিত হৈ অচিৰেই ধূলি চেলেকিব লাগিব সেই বিষয়ে কোনো সন্দেহ নাই।

বাংলাদেশৰ স্বাধীনতাৰ সংগ্ৰাম আজি কেৱল পাকিস্তানৰ আভ্যন্তৰীণ বিষয় নহয়। মানুহৰ মৌলিক অধিকাৰ আৰু গণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ কাৰণে হোৱা ই এক বিৰাট ঐতিহাসিক সংগ্ৰাম। ত্ৰিশৰ দশকত স্পেইনৰ গৃহ-যুদ্ধত গণতন্ত্ৰৰ সপক্ষে আৰু একনায়কত্ববাদৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পৃথিৱীৰ বহুদেশৰ পৰাই স্বেচ্ছাসেৱক বাহিনী গৈছিল। জৱহৰলাল নেহৰুৱে সেই ঐতিহাসিক মুহূৰ্তত কৰা আবেগময় উক্তিবোৰ আজিও আমাৰ কাণত বাজি আছে। পাকিস্তানৰ গৃহ-যুদ্ধও সামৰিক একনায়কত্ববাদ আৰু গণতন্ত্ৰৰ মাজত হোৱা এক বিৰাট ঐতিহাসিক সংগ্ৰাম। এই সংগ্ৰামত আমি কেৱল মুখেৰে সমৰ্থন জনালেই নহ'ব, স্বেচ্ছাসেৱক বাহিনী পঠিয়াই আমি সেই যুদ্ধত সক্ৰিয় অংশ ললেহে এই ঐতিহাসিক মুহূৰ্তত আমাৰ আচল কৰ্তব্য পালন কৰা হ'ব। অসমৰ বুদ্ধিজীৱী মহললৈ আমি আহ্বান জনাইছোঁ— তেওঁলোকে যেন বাংলাদেশৰ স্বাধীনতা আন্দোলনৰ প্ৰতি সদ্যহতে নৈতিক সমৰ্থন ঘোষণা কৰি সকলোৰে চহী-যুক্ত এক ঘোষণা-পত্ৰ অতি সোনকালে প্ৰকাশ কৰে।

বাংলাদেশৰ যুদ্ধক্ষেত্ৰলৈ গৈছিলো

So, it was that we became an army, not like any army that was before, but an army out of the people and the strength of the people, the one army in all the world where men fought neither for pay, nor for power, but for the ways of their fathers and the land of the fathers.

– My Glorious Brothers : Howard Fast

অলপতে আমি কেইজনমান লগ লাগি বাংলাদেশৰ যুদ্ধক্ষেত্ৰলৈ গৈছিলোঁ। আমাৰ সৰু দলটোত আছিল- সাপ্তাহিক নীলাচলৰ সম্পাদক, স্বত্বাধিকাৰীসকলৰ অন্যতম দুজন শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা আৰু শ্ৰীৰমেন দত্তবৰুৱা, আৰু আমাৰ ড্ৰাইভাৰ শ্ৰীসহীৰাম কলিতা। যোৱা পহিলা এপ্ৰিল তাৰিখে দিনৰ বাৰ বজাত আমি বাংলাদেশৰ সীমান্ত অতিক্ৰম কৰি ভিতৰলৈ সোমাই গৈ মৈদাম বি পি কেম্পত ভৰি দিলোঁ আৰু স্থানীয় অধিবাসীসকলৰ নৱ-লব্ধ স্বাধীনতা উৎসৱত যোগ দিলোঁ। ই এক অবিস্মৰণীয় অভিজ্ঞতা।

বাংলাদেশৰ ঘটনাৱলী নিজ চকুৰে ওচৰৰ পৰা চাবৰ মনেৰে আমি যোৱা ৩১ তাৰিখে আবেলি গুৱাহাটীৰ পৰা কোচবিহাৰ অভিমুখে যাত্ৰা কৰিলোঁ। পাছদিনা পুৱা ৯ মান বজাত কোচবিহাৰ পাই দেখিলোঁ— আমি আশাকৰা মতে কোচবিহাৰ নগৰত বিশেষ কোনো চাঞ্চল্য নাই। খবৰৰ সন্ধানত নগৰখনত কেইপাকমান ঘূৰি ফুৰোঁতে এটা জনহীন পথত এজন ভদ্ৰলোকৰ ওপৰত আমাৰ চকু পৰিল আৰু গাড়ী ৰখাই আমি তেওঁক বাংলাদেশৰ বিষয়ে প্ৰশ্ন কৰিলোঁ। তেওঁ আমাক ক'লে যে বাংলাদেশৰ বিষয়ে সঠিক খবৰ পাবলৈ হ'লে দিনহাটালৈ যাব লাগিব, কাৰণ দিনহাটাৰ ফৰৱাৰ্ড ব্লকৰ অফিচৰ পৰাই বাংলাদেশৰ মুক্তিযোদ্ধাসকলৰ লগত ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰা হৈছে। লগতে তেওঁ নিজৰ পৰিচয় দি ক'লে যে তেওঁ হ'ল কোচবিহাৰ জিলা ফৰৱাৰ্ড ব্লক কমিটিৰ চেক্ৰেটাৰী। তেওঁৰ পৰিচয় শুনি আমি তেওঁকো আমাৰ লগত দিনহাটালৈ যাবলৈ লগ ধৰিলোঁ। তেওঁ আনন্দমনেৰে ৰাজী হৈ আমাৰ লগত গাড়ীত উঠিল। দহ বজাৰ কিছু আগে আগে আমি দিনহাটাৰ ফৰৱাৰ্ড ব্লকৰ অফিচত গৈ উপস্থিত হ'লো। তাতে আমাক ফৰৱাৰ্ড ব্লকৰ নেতা শ্ৰীকমল গুহ আৰু অধ্যাপক শ্ৰীহিতেন নাগৰ লগত পৰিচয় কৰাই দিলে। শ্ৰীকমল গুহ আছিল ১৯৬৯ চনৰ যুক্তফ্ৰণ্ট মন্ত্ৰীসভাৰ সময়ত পশ্চিমবংগ যুক্তফ্ৰণ্টৰ চীফ হুইপ। শ্ৰীনাগে পশ্চিমবংগৰ বিধানসভাৰ যোৱা মধ্যৱৰ্তী নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰে।

ফৰৱাৰ্ড ব্লকৰ অফিচত বহি চাহৰ কাপ আগত লৈ আমি শ্ৰীগুহ আৰু শ্ৰীনাগৰ লগত বাংলাদেশৰ বিষয়ে আলোচনা কৰি থাকোঁতেই দুজন ডেকা ল'ৰা আহি উপস্থিত হ'ল। তেওঁলোক সীমান্তৰ সিপাৰৰ পৰা অৰ্থাৎ বাংলাদেশৰ পৰা আহিছে। প্ৰায় পোন্ধৰ মিনিট সময় ধৰি শ্ৰীগুহৰ সহকৰ্মীসকলে ডেকা দুজনক জেৰা কৰিলে। তেওঁলোক কোন ঠাইৰ পৰা আহিছে? কোনটো বাটেৰে আহিছে? চাহ আলমক তেওঁলোকে চিনি পায়নে? তেওঁলোকে লগত কাৰোবাৰ পৰা পৰিচয়-পত্ৰ লৈ আহিছেনে? ইত্যাদি প্ৰকাৰে খৰচি মাৰি জেৰা কৰাৰ পাচত তেওঁলোকক সোধা হ'ল— তেওঁলোকে কি বিচাৰি আহিছে? কাপোৰৰ মোনাত লুকুৱাই অনা খালী

টিন এটা দেখুৱাই ডেকা দুজনে ক'লে— তেওঁলোকে পেট্ৰ'ল বিচাৰি আহিছে। শ্ৰীগুহৰ নিৰ্দেশমতে তেওঁলোকক পেট্ৰল দি ওচৰৰ হোটেলত খুৱাই-বুৱাই পুনৰ সীমান্তৰ সিপাৰলৈ ঘূৰাই পঠোৱা হ'ল।

আমি দিনহাটাৰ ফৰবাৰ্ড ব্লকৰ অফিচত প্ৰায় এঘণ্টা সময় ৰহিলোঁ। সেই এঘণ্টা সময়ৰ ভিতৰতে সীমান্তৰ সিপাৰৰ পৰা আৰু প্ৰায় চাৰিটামান দল আহি উপস্থিত হ'ল। প্ৰত্যেকেই সীমান্তৰ সিপাৰৰ পৰা যুদ্ধৰ অগ্ৰগতিৰ বিভিন্ন খবৰ লৈ আহিছে। ঘূৰি যাবৰ সময়ত প্ৰত্যেকেই লৈ গ'ল পেট্ৰল, ঔষধ-পাতি, আৰু অস্ত্ৰ-শস্ত্ৰ। লগতে লৈ গ'ল বাংলাদেশৰ মুক্তি-যোদ্ধাসকলৰ প্ৰতি সীমান্তৰ এই পাৰৰ অৰ্থাৎ ভাৰতৰ জনসাধাৰণৰ অকুণ্ঠ সহায়-সমৰ্থন আৰু শুভ-ইচ্ছাৰ বাণী। কিছুসময়ৰ ভিতৰতে আমি জানিব পাৰিলোঁ যে- সেই অঞ্চলত সীমান্ত বুলি কোনো বস্তুৱে এতিয়া আৰু নাই; যোৱা কেইদিনমানৰ ভিতৰত সীমা-ৰেখা চিহ্নিত কৰা শিলৰ খুটাবোৰ ভাঙি পেলোৱা হৈছে। উদ্দেশ্য— পাকিস্তানী সৈন্য আগবাঢ়ি আহিলে যাতে সীমান্ত-চিহ্ন নেদেখি ভুল কৰি ভাৰতীয় এলেকাত সোমাই পৰে। লগতে আমি এই কথাও জানিলোঁ যে আমি গৈ পোৱাৰ মাত্ৰ আগদিনা অৰ্থাৎ ৩১ মাৰ্চ তাৰিখে দিনহাটাত এখন বিৰাট জনসভা অনুষ্ঠিত হৈছিল, আৰু সেই সভালৈ বাংলাদেশৰ ৰংপুৰ জিলাৰ পৰা প্ৰায় পাঁচশ মানুহ আহিছিল। তেওঁলোকৰ লগত আহিছিল আৱামী লীগৰ দুজন শীৰ্ষস্থানীয় নেতা। তাৰে এজন আছিল পাকিস্তান জাতীয় পৰিষদৰ নৱ-নিৰ্বাচিত সদস্য। মুঠতে সেই অঞ্চলত বাংলাদেশ আৰু পশ্চিম বঙ্গৰ সীমাৰেখা নিশ্চিহ্ন হৈ দিনহাটা পৰিণত হৈছে বাংলাদেশৰ স্বাধীনতা-সংগ্ৰামৰ এটা প্ৰধান মূল ঘাটীত। দিনহাটাৰ পৰাই বাংলাদেশৰ মুক্তিযোদ্ধাসকলক অবাধে পেট্ৰল, অস্ত্ৰ-শস্ত্ৰ আৰু ৰছদ-পাতি আদি অত্যাবশ্যকীয় বস্তুবোৰৰ যোগান ধৰি থকা হৈছে।

প্ৰায় ১১ মান বজাত আমি বাংলাদেশৰ সীমান্ত অভিমুখে যাত্ৰা কৰিলোঁ। সেই বাটছোৱা দুৰ্গম কাৰণে আমি আমাৰ ফিয়েট গাড়ী এৰি থৈ ফৰবাৰ্ড ব্লকৰ জীপ গাড়ীত উঠিলোঁ। ড্ৰাইভাৰৰ আসনত বহিল শ্ৰীকমল গুহ। কিছু বাট যোৱাৰ পাচতে বিপৰীত ফালৰ পৰা মটৰ চাইকেলত অহা দুজন ডেকাই আমাৰ গাড়ী ৰাখি হাঁহিভৰা মুখেৰে আমাক খবৰ দিলে যে আমি এতিয়া ইচ্ছা কৰিলে যিমান দূৰলৈ ইচ্ছা সিমান দূৰলৈকে বাংলাদেশৰ ভিতৰলৈ সোমাই যাব পাৰোঁ, কাৰণ মাত্ৰ আগদিনা ৰাতি এটা বজাত পাকিস্তানৰ সীমান্ত-ৰক্ষী সশস্ত্ৰ পুলিচে মৈদাম পুলিচ চকীটো এৰি থৈ পলাই গুচি গৈছে, আৰু এতিয়া সেই চকী সংগ্ৰাম কমিটীয়ে অৰ্থাৎ বাংলাদেশৰ মুক্তিযোদ্ধাসকলে দখল কৰি আছে। এই খবৰ শুনি আমি দুগুণ উৎসাহ আৰু উত্তেজনাৰে মৈদাম অভিমুখে আগবাঢ়িলোঁ। কিছুদূৰ গৈয়ে আমি ভাৰতৰ সীমান্ত অতিক্ৰম কৰি স্বাধীন বাংলাদেশৰ মাটিত ভৰি দিলোঁ। তাতে জীপ গাড়ী এৰি থৈ আমি আহধানৰ পথাৰৰ মাজেৰে খোজকাঢ়ি পাকিস্তানী সৈন্যৰ দ্বাৰা পৰিত্যক্ত মৈদাম বি পি কেম্প লক্ষ্য কৰি আগবাঢ়িলোঁ। ওচৰৰ গাঁৱৰ আনন্দমুখৰ জনতায়ো আমাৰ অভিযানত যোগ দিলে। কিছু বাট আগবঢ়াৰ পাছত আমাৰ চকুত পৰিল অদূৰত মৈদাম বি পি কেম্প— য'ত ভাৰতৰ ফালে বন্দুক টোৱাই পাকিস্তানৰ সীমান্ত পহৰা দি থকা পাকিস্তানী সশস্ত্ৰ পুলিচৰ পৰিবৰ্তে আমাৰ চকুত পৰিল ৰুদ্ধশ্বাস উত্তেজনাৰে আমাৰ কাৰণে অপেক্ষা কৰি থকা প্ৰায় পাঁচশ মান বাংলাদেশৰ মুক্ত মানুহ, এক নতুন মুক্ত জীৱনৰ সূৰ্যোদয়ৰ জ্যোতিত যিসকলৰ চকু-মুখ উদ্ভাসিত। আমি মৈদাম কেম্পত ভৰি দিয়াৰ লগে লগে উত্তেজিত জনতাই আমাক আগুৰি ধৰিলে। দলৰ নেতাসকলক একলীয়া কৰি লৈ আমি তেওঁলোকৰ লগত কথা পাতিবলৈ আৰম্ভ কৰিলোঁ। নেতাসকলৰ ভিতৰত এজন আছিল স্থানীয় সংগ্ৰাম কমিটিৰ চেক্ৰেটাৰী আৰু আনজন স্থানীয় ইউনিয়নৰ (আমাৰ পঞ্চায়তৰ) সভাপতি। তেওঁলোকে আমাক ক'লে যে মৈদাম পুলিচ চকীত পোন্ধৰজন পাকিস্তানী সশস্ত্ৰ পুলিচ আছিল। তাৰে

সাতজন পশ্চিম পাকিস্তানী আৰু আঠজন বঙালী। স্থানীয় মানুহে যোৱা এসপ্তাহ ধৰি কেম্পটোৰ ওপৰত চোকা নজৰ ৰাখি আছিল। ৩১ মাৰ্চ তাৰিখে গধূলি সাতজন পশ্চিম পাকিস্তানী পুলিচে আঠজন বঙালী পুলিচৰ পৰা অস্ত্ৰ-শস্ত্ৰ কাঢ়ি ল'লে আৰু ৰাতিৰ আন্ধাৰৰ আঁৰ লৈ প্ৰায় এটামান বজাত কেম্পটোৰ সকলো অস্ত্ৰ-শস্ত্ৰ বঙালী পুলিচকেইজনৰ পিঠিত বোজা দি পলাই গুচি গ'ল। ৰাতিপুৱা ওচৰৰ গাঁৱৰ মানুহে আহি কেম্পটো দখল কৰিলে। তাত থকা আন্‌চাৰ বাহিনীৰ লোকসকলকো আমি স্থানীয় লোকৰ লগত সহযোগ কৰা নিজ চকুৰে দেখা পালোঁ। সেই কেম্পত আমি দুঘণ্টামান সময় থাকি স্থানীয় কমিটিৰ চেক্ৰেটাৰীৰ ইণ্টাৰভিউ ল'লোঁ আৰু টেপ ৰেকৰ্ডাৰত তেওঁৰ কথাবোৰ ধৰি ৰাখিলোঁ। লগতে সেই কেম্পৰ ৩২ খন ফটোও ললোঁ। কেম্প এৰি আহিবৰ সময়ত স্থানীয় লোকসকলে আমাক স্বাধীন বাংলাদেশৰ এখন পতাকা উপহাৰ দিলে আৰু আমাক ঘেৰি ধৰি জয়ধ্বনি দিলে—

> দুই বাংলা দিচ্ছে ডাক ইয়াহিয়া খাঁ নিপাত যাক।
> দুই বাংলা দিচ্ছে ডাক ছেখ মুজিবুৰ জিন্দাবাদ।।

প্ৰায় দুটামান বজাত আমি স্বাধীন বাংলাদেশৰ মাটি এৰি থৈ দিনহাটালৈ ঘূৰি আহিলোঁ। বাটতে ভাৰতীয় সীমান্তৰক্ষী পুলিচ চকীত সোমাই কিছু সময় জিৰণি ল'লোঁ। তাতে শ্ৰীগীল নামৰ ভাৰতীয় কমাণ্ডেণ্টজনে আমাক চাহ আৰু ফল-বিস্কুট খুৱাই আপ্যায়িত কৰিলে।

তিনিটামান বজাত আমি দিনহাটাত জিৰণি লৈ আমাৰ টেপ-ৰেকৰ্ডাৰৰ কথাবোৰ এমপ্লিফায়াৰৰ যোগেদি স্থানীয় মানুহক শুনাই থাকোঁতেই সীমান্তৰ সিপাৰৰ পৰা আকৌ দুজনমান কটকী আহি উপস্থিত হ'ল। তেওঁলোকে খবৰ দিলে যে আগদিনা ৰাতি মৈদাম বি পি কেম্পৰ পৰা পলাই যোৱা পাকিস্তানী সৈন্য কেইজনক লালমণিৰ হাটৰ ওচৰত দেখা গৈছে আৰু তেওঁলোকে স্থানীয় মানুহৰ ওপৰত গুলী চলাইছে। তেওঁলোকক ধৰিব পাৰিলে বাংলাদেশৰ মুক্তিযোদ্ধাসকলৰ কাৰণে প্ৰায় বিশ হাজাৰ বুলেট উদ্ধাৰ কৰিব পৰা যাব। সকলোৰে সন্দেহ যে এই বিশ হাজাৰ বুলেট পাকিস্তানী সৈন্যসকলে লগত লৈ যাব পৰা নাই; নিশ্চয় ওচৰতে হাবিত গাঁত খান্দি পুতি থৈ গৈছে। বাংলাদেশৰ মুক্তিযোদ্ধাসকলৰ কাৰণে এতিয়া এটা বুলেটৰ মূল্য এক কিলোগ্ৰাম সোণতকৈও বেছি। খবৰটো শুনিয়েই দিনহাটাৰ কেইবাজনো ৰাজনৈতিক কৰ্মীয়ে বাংলাদেশৰ মুক্তিযোদ্ধাকেইজনৰ লগত আমি ব্যৱহাৰ কৰা জীপখনতে পুনৰ লালমণিৰ হাটলৈ ঢাপলি মেলিলে। লগত লৈ গ'ল চাৰি বাকচ অস্ত্ৰ-শস্ত্ৰ আৰু খাদ্য-বাকচ। আমাকো তেওঁলোকে লগত যাবলৈ অনুৰোধ কৰিছিল, কিন্তু প্ৰবল ইচ্ছা থকা সত্ত্বেও আমি যাব নোৱাৰিলোঁ, কাৰণ যোৱা হ'লে আমি আমাৰ অভিজ্ঞতাৰ এই কথাখিনি সাত এপ্ৰিলৰ নীলাচলত পাঠকসকলৰ আগত দাঙি ধৰিবলৈ সময় নাপালোঁহেঁতেন। আমাৰ বিশ্বাস যে আমি গুচি অহাৰ পাচতে পাকিস্তানী পুলিচ কেইজন নিশ্চয় ধৰা পৰিছে আৰু বাংলাদেশৰ মুক্তিযোদ্ধাসকলক দমন কৰিবলৈ মজুত কৰি ৰখা বিশ হাজাৰটা বুলেট এতিয়া স্বাধীনতা সংগ্ৰামীৰ অমোঘ অস্ত্ৰ হিচাপে ব্যৱহাৰ হৈছে।

বাংলাদেশৰ মুক্ত অঞ্চলৰ অৰ্থাৎ ৰংপুৰ জিলাৰ কুৰিগ্ৰাম মহকুমাৰ মৈদাম বি পি কেম্পত আমি যি তিনিঘণ্টা সময় আছিলোঁ, সেই তিনিঘণ্টা সময়ৰ ভিতৰত আমি বহু কথাই শুনিলো আৰু নিজ চকুৰেই দেখিলোঁ যে ৰংপুৰ চহৰক বাদ দি সমগ্ৰ ৰংপুৰ জিলা মুক্ত অঞ্চলত পৰিণত হৈছে। এতিয়া তাত পশ্চিম পাকিস্তানৰ দখল বা শাসনৰ কোনো অস্তিত্ব নাই। আমি প্ৰত্যক্ষদৰ্শীৰ মুখৰ পৰাই শুনিলোঁ— ৰংপুৰ চহৰত

পাকিস্তানী সৈন্যই কেনেকৈ অমানুষিক অত্যাচাৰ আৰম্ভ কৰিছে আৰু বাংলাদেশৰ ভাই-ভনীসকলৰ সতীত্ব আৰু সন্মান নষ্ট কৰিছে। এজন প্ৰত্যক্ষদৰ্শীয়ে ক'লে— মাত্ৰ দুদিনমানৰ আগতে ৰংপুৰ চহৰৰ মণ্টুবাবু নামৰ এজন বৃদ্ধ হোমিওপেথি ডাক্তৰৰ ঘৰলৈ ৰাতি কেইজনমান পাকিস্তানী সৈন্যই আহি তেওঁৰ গাভৰু জীয়েকক নিজা কেম্পলৈ লৈ গ'ল আৰু গোটেই ৰাতি পাশৱিক অত্যাচাৰ কৰি ৰাতিপুৱা ছোৱালীজনীৰ ৰক্তাক্ত অৰ্ধমৃত দেহটো বাপেকক ঘূৰাই দি গ'লহি। আমি শুনিলোঁ— বাংলাদেশৰ গাঁৱে গাঁৱে কাৰ্ফিউ জাৰী কৰাৰ একমাত্ৰ উদ্দেশ্য হ'ল সেই সুযোগতে মানুহৰ ভঁড়ালৰ ধান-চাউল অপহৰণ কৰা। খাদ্যৰ অভাৱত পৰি পাকিস্তানী সৈন্যসকলে এতিয়া গাঁৱে গাঁৱে লুটপাত আৰম্ভ কৰিছে। সিহঁতে ঘৰৰ বা ভঁড়ালৰ ধান-চাউল যি পাৰে লৈ যায়, নোৱৰাখিনি জুই দি ভস্ম কৰি থৈ যায়। আমি শুনিলোঁ— বাংলাদেশত স্বাধীন বাংলা চৰকাৰৰ পূৰ্ণ কৰ্তৃত্ব প্ৰতিষ্ঠিত হোৱাৰ পাছত সেই দেশৰ সাধাৰণ জনতাই মৌলানা ভাছানীক কাটি টুকুৰা-টুকুৰ কৰি পেলাব, কাৰণ চীনৰ উগ্ৰ সমৰ্থক এই নেতাজনে মুখেৰে বাংলাদেশৰ স্বাধীনতাৰ সংগ্ৰামক সমৰ্থন কৰিলেও গোপনে তাৰ বিৰোধিতা কৰিবলৈ চেষ্টা কৰি আছে। আমি এই কথাও শুনিলোঁ যে ভাৰতৰ সীমান্তৱৰ্তী অঞ্চলৰ ধনী মুছলমান লোকসকলে বাংলাদেশৰ স্বাধীনতাৰ সংগ্ৰামক ভাল চকুৰে চোৱা নাই, কাৰণ সাম্প্ৰদায়িক মনোভাবত নিমজ্জিত এই লোকসকলে সমীপৱৰ্তী ইছলামিক ৰাষ্ট্ৰ এখন দুৰ্বল হৈ পৰাটো বা বাংলাদেশত এখন ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হোৱাটো নিবিচাৰে।

আমি বহুত কথাই শুনিলোঁ আৰু দেখিলোঁ; কিন্তু যিটো কথা আটাইতকৈ বেছিকৈ দেখিলোঁ আৰু আটাইতকৈ বেছিকৈ শুনিলোঁ, সেইটো হৈছে এই যে— বাংলাদেশৰ জনসাধাৰণৰ মুক্তি-কামনাই বঙ্গোপ সাগৰৰ উন্মত্ত ঘূৰ্ণি বতাহৰ ৰূপ লৈছে। তাক বাধা দিবলৈ বা শান্ত কৰিবলৈ কাৰো সাধ্য নাই। সেই ঘূৰ্ণি বতাহে দমন-শক্তিৰ সমস্ত বাধা-বিঘিনি মহতিয়াই ভাঙি মষিমূৰ কৰি দিব আৰু এৰি থৈ যাব নতুন সৃষ্টিৰ কঠীয়া সিঁচিবৰ কাৰণে অগণিত মানুহৰ ৰক্তধাৰাৰে সাৰুৱা হৈ উঠা এক নতুন বাংলাদেশ। ইতিহাসত মাজে মাজে এনে একোটা সময় আহে- যেতিয়া সমস্ত আকাশ ৰক্তিম কৰি এক নতুন চেতনাই সূৰ্য্য অগ্নি-গোলকৰ দৰে জ্বলন্ত হৈ উঠে আৰু তাৰ পোহৰত অতি নগণ্য আৰু সামান্য মানুহবোৰৰ মুখবোৰতো অপূৰ্ব ৰূপ উদ্ভাসিত হৈ উঠে। তুচ্ছ প্ৰাত্যহিকতাৰ কাৰাগাৰত বন্দী সৰু সৰু ধূলি-ধূসৰিত মানুহবোৰেও সেই সময়ত এক নতুন মহিমাৰ শীৰ্ষবিন্দু স্পৰ্শ কৰে আৰু নতুন অগ্নি-কবচ ধাৰণ কৰে। কেইবা হাজাৰ বছৰৰ আগতে জুদিয়াৰ শান্ত-শিষ্ট ইহুদীসকলে যেতিয়া গ্ৰীক পশু-শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, ৰোমান দাসসকলে যেতিয়া গৰ্বান্ধ ৰোমান সম্ৰাটৰ বিৰুদ্ধে মূৰ দাঙি বিদ্ৰোহ কৰি উঠিছিল, সেই তেতিয়াৰ পৰা আৰম্ভ কৰি বেষ্টিল কাৰাগাৰ ভাঙি চূৰ্ণীকৃত কৰি দিয়া ক্ষুধাতুৰ ফৰাচী জনতা, আলজিৰিয়াৰ মুক্তি-সংগ্ৰামত আত্মাহুতি দিয়া লাখ লাখ মুক্তিযোদ্ধা, ভাৰতৰ স্বাধীনতা-সংগ্ৰামৰ অহিংস বীৰ সেনানীসকল আৰু ভিয়েটনামৰ ৰক্তবীজৰ বংশধৰ অমিত-বীৰ্য্য মুক্তিযোদ্ধাসকললৈকে ইতিহাসৰ যুগে যুগে এই একে ঘটনা দেখা গৈছে। হাৱাৰ্ড ফাষ্টে তেওঁৰ My Glorious Brothers নামৰ বিখ্যাত উপন্যাসখন উছৰ্গা কৰিছে— To all men ... who have laid down their lives to that ancient and unfinished struggle for human freedom and dignity.– অৰ্থাৎ সেইসকল লোকলৈ, যিসকলে মানুহৰ মুক্তি আৰু মৰ্যাদাৰ কাৰণে চলি থকা প্ৰাচীন আৰু অসমাপ্ত যুদ্ধত অংশগ্ৰহণ কৰি আহিছে। সঁচাকৈয়ে মানুহৰ মুক্তিযুদ্ধৰ এতিয়াও সমাপ্তি ঘটা নাই। সেই অসমাপ্ত যুদ্ধৰ এটা গৌৰৱময় ৰক্তাক্ত অধ্যায় এতিয়া চলিব লাগিছে বাংলাদেশৰ বুকুত। এইখিনিতে আমি এটা কথা ভালকৈ মনত ৰখা দৰকাৰ। স্বাধীনতাৰ কোনো সীমান্ত নাই, স্বাধীনতাক খণ্ড

খণ্ডকৈ ভাগ কৰিব নোৱাৰি। পৰাধীনতাৰ বিৰুদ্ধে হোৱা যিকোনো সংগ্ৰামেই সমগ্ৰ মানব জাতিৰ উমৈহতীয়া সংগ্ৰাম। কচুঠৰ ভাষাৰে ক'বলৈ গ'লে— 'The cause of freedom is identified with the destinies of humanity, and in whatever part of the world it gains ground, by and by it will be a common gain to all who desire it.– অৰ্থাৎ মানৱ জাতিৰ লক্ষ্য বা ভাগ্যৰ লগত স্বাধীনতাৰ আদৰ্শ অবিচ্ছেদ্যভাৱে জড়িত আৰু পৃথিৱীৰ যি অংশতেই এই সংগ্ৰাম নচলক কিয়— ক্ৰমে ক্ৰমে ই স্বাধীনতাকামী সকলো মানুহৰ উমৈহতীয়া লাভত পৰিণত হ'ব। ই এটা সীমাহীন লজ্জা আৰু দুৰ্ভাগ্যৰ কথা যে বাংলাদেশৰ এই বীৰত্বপূৰ্ণ মুক্তি সংগ্ৰামৰ প্ৰতি এই মুহূৰ্ততো বিশ্বৰ বেছিভাগ দেশেই নিৰ্বিকাৰ হৈ আছে। যি মুহূৰ্তত বাংলাদেশৰ লাখ লাখ নিৰস্ত্ৰ মুক্তিযোদ্ধাই বৰ্বৰ পশ্চিম পাকিস্তানী সৈন্য বাহিনীৰ নিৰ্মম মাৰণাস্ত্ৰৰ হাতত প্ৰাণ দিছে, বাংলাদেশৰ এজন কবিয়ে কোৱাৰ দৰে যি মুহূৰ্তত সমগ্ৰ বাংলাদেশৰ কোমল মাটিয়েই এক বিৰাট ব্লাড বেংকত পৰিণত হৈছে, বহু শতাব্দীৰ আগতে চেংগিজ খাঁ, তৈমুৰ লং আৰু আটিলাৰ বিজয়ী সৈন্য বাহিনীয়ে পৰাজিত দেশবোৰত কৰাৰ দৰে যি মুহূৰ্তত উন্মত্ত পাকিস্তানী সৈন্য বাহিনীয়ে বাংলাদেশৰ ঘৰে ঘৰে অগণিত তিৰোতাক নিজৰ কামাগ্নিৰ ইন্ধন হিচাপে ব্যৱহাৰ কৰিছে, সেই মুহূৰ্তত বিশ্বৰ বিভিন্ন ৰাজধানীত ধুৰন্ধৰ ৰাষ্ট্ৰনায়কসকলে ৰাজনীতিৰ তুলাচনীৰে জুখিবলৈ চেষ্টা কৰিছে— কোন পক্ষৰ হৈ মাত মাতিলে ভৱিষ্যত লাভৰ পাল্লা ওজনত বেছি গধুৰ হ'ব। যি তথাকথিত 'মুক্ত পৃথিৱী'য়ে হাংগেৰীত ৰাছিয়ান সৈন্য বাহিনীৰ হস্তক্ষেপত গৰ্জি উঠিছিল, সেই মুক্ত পৃথিৱী আজি বাংলাদেশৰ মুক্তি-সংগ্ৰাম সম্পৰ্কে নীৰৱ। যি কমিউনিষ্ট ৰাছিয়াই নিজকে উপনিবেশিকবাদৰ বিৰুদ্ধে বিশ্বব্যাপী হোৱা সংগ্ৰামৰ ধ্বজাবাহক বুলি গৰ্ব কৰে, সেই ৰাছিয়াও আজি ৰাজনৈতিক লাভ-ক্ষতিৰ হিচাপ কৰাত ব্যস্ত। অৱশ্যে আমাৰ মনত আছে যে ষ্টালিনৰ নেতৃত্বত এই ৰাছিয়াই এদিন আবিচিনিয়াৰ স্বাধীনতা অপহৰণ কৰিবলৈ ১৯৩৪ চনতেই মুছোলিনিক অস্ত্ৰ দি সহায় কৰিছিল। আজি যি বন্দুক-বাৰুদ, টেংক আৰু ছেবাৰ-জেট্ বিমানৰ সহায়েৰে পশ্চিম পাকিস্তানে বাংলাদেশৰ মানুহক কুকুৰ-মেকুৰীৰ দৰে নিৰ্মমভাৱে হত্যা কৰিছে— সেই অস্ত্ৰ-শস্ত্ৰ আহিছে বিশ্বৰ অগণিত মুক্তিযোদ্ধাৰ তেজেৰে ৰাঙলী আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাতৰ পৰা। বাংলাদেশৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি বিশ্বৰ এই চৰম উদাসীনতা ইতিহাসৰ এটা দুৰপনেয় কলংক। এই কলংকৰ প্ৰায়চিত্ত এদিন সকলোৱে কৰিবই লাগিব।

কিন্তু কোনেও একো নকৰিলেও আমি ভাৰতৰ মানুহে এই দৃশ্য নীৰৱে হাত সাবটি চাই থাকিব নোৱাৰোঁ। দ্বিতীয় বিশ্বযুদ্ধৰ পিছতে সমগ্ৰ এছিয়া আৰু আফ্ৰিকাত যি দেশতেই স্বাধীনতাৰ যুদ্ধ চলিছে তাতেই আমি সহায়-সমৰ্থন আগবঢ়াইছোঁ। জাপানে যেতিয়া চীনৰ ওপৰত বৰ্বৰ আক্ৰমণ চলাইছিল তেতিয়া ৰবীন্দ্ৰনাথৰ কণ্ঠত বজ্ৰ-নিৰ্ঘোষ স্বৰেৰে ধ্বনিত হৈ উঠিছিল সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰতিবাদৰ বাণী। আধুনিক কালত ভাৰতবৰ্ষই হ'ল বিশ্বৰ সমস্ত মুক্তি-সংগ্ৰামৰ ঘাই হোতা আৰু অগ্ৰদূত। আজি পৃথিৱীৰ আন কোনো দেশে নকৰিলেও ভাৰতবৰ্ষই বাংলাদেশৰ স্বাধীনতাৰ সংগ্ৰামক পৰিপূৰ্ণভাৱে সহায়-সমৰ্থন কৰিবলৈ আগবাঢ়ি আহিব লাগিব, কাৰণ ই হ'ল আমাৰ দেশৰ অপৰিহাৰ্য্য ঐতিহাসিক ভূমিকা। তদুপৰি বাংলাদেশ আমাৰ বেৰে বেৰে লাগি থকা নিকটতম প্ৰতিবেশী; সেই দেশৰ লাখ লাখ মানুহ আহি আমাৰ অসমকেই নিজৰ দেশ বুলি গ্ৰহণ কৰি ইয়াত পুৰুষানুক্ৰমে বাস কৰি আছে। সেই দেশৰ স্বাধীনতাৰ দাবীত যদি আমি নিজৰ কণ্ঠ যোগ নিদিওঁ, তেন্তে সি হ'ব মানুহৰ স্বাধীনতা আৰু মৰ্যাদাৰ আদৰ্শৰ প্ৰতি চৰম বিশ্বাসঘাতকতা।

যৌৱনৰ উৎসৱ

ব'হাগ বিহু মাইকৈ যৌৱনৰ উৎসৱ। বিহু বছৰে বছৰে একোবাৰকৈ আহে, কিন্তু অকালতে জড়া-গ্ৰস্থ হৈ পৰা অসমৰ জাতীয় জীৱনে যেন বহু বছৰ ধৰি বিহুৰ এই নৱ-সৃষ্টিৰ উৎসৱৰ নিমন্ত্ৰণৰ প্ৰতি ভালকৈ সঁহাৰি দিব পৰা নাই। অসমৰ যৌৱন-শক্তিৰ সৃষ্টি-প্ৰতিভা আৰু কৰ্ম-প্ৰতিভা পূৰ্ণভাবে বিকশিত হ'ব পৰাকৈ উপযুক্ত পৰিৱেশ আমি গঢ়ি দিব পৰা নাই। অসমীয়া ডেকাৰ খেতি কৰিবলৈ মাটি নাই, ব্যৱসায়-বাণিজ্য কৰিবলৈ মূলধন নাই, তেওঁলোকক নতুন চেতনাৰে উদ্দীপ্ত কৰি তুলিবলৈ ভৱিষ্যদ্দৰ্শী নেতা নাই, আনকি তেওঁলোকৰ মনৰ ভিতৰতে গুজৰি-গুমৰি থকা ভাব-ৰাশিয়ে প্ৰকাশৰ সুবিধা পাবলৈ এখন ভাল আলোচনীও নাই। বিশেষকৈ এই শেষোক্ত সমস্যাটি অসমৰ উদীয়মান লিখক-লিখিকাসকলৰ কাৰণে এটা পৰ্বত প্ৰমাণ বাধা হৈ থিয় দিছে। অসমীয়া সাহিত্য মাইকৈ আলোচনীজীৱী। তুহঁশালত গঢ়িব পৰাৰ পাচতহে কমাৰশালত গঢ়াৰ দৰে অসমীয়া লিখকেও প্ৰথমতে আলোচনীৰ পাতত দীৰ্ঘকাল ধৰি কচৰৎ কৰাৰ পাচতহে তাৰে ভিতৰৰে দুই এজনে সময়ত গ্ৰন্থকৰ্তা হিচাবে আত্মপ্ৰকাশ কৰাৰ সৌভাগ্য অৰ্জন কৰে। কিন্তু যোৱা কেইবা বছৰ ধৰি নিয়মিতভাৱে প্ৰকাশিত হোৱা এখনো সাহিত্য আলোচনী নোহোৱাৰ ফলত নতুন লিখক-লিখিকাসকলৰ সৃষ্টি প্ৰতিভা বিকশিত হোৱাত ডাঙৰ বাধাৰ সৃষ্টি হৈছে। ফলত অসমীয়া সাহিত্যৰ ধাৰাটো এটা মৰা সুঁতিত পৰিণত হোৱাৰ উপক্ৰম হৈছে। নদীত বছৰি বাৰিষা অহাৰ দৰে সাহিত্যৰ ক্ষেত্ৰতো নব নব সৃষ্টিৰ প্লাৱনৰ ধাৰা আহি থাকিলেহে সি জীৱন্ত আৰু বেগবান হৈ থাকিব পাৰে। যথেষ্ট সংখ্যক আলোচনীৰ অভাৱতেই পাৰ হৈ যোৱা দশকটোৱে আমাৰ সাহিত্যত কোনো নতুন আৰু উল্লেখযোগ্য সৃষ্টি প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ যাব পৰা নাই। এই সকলোবোৰ কথা বিবেচনা কৰিয়েই আমি আমাৰ বিহু সংখ্যা সাপ্তাহিক নীলাচল বিশেষ গল্প সংখ্যা ৰূপে পাঠকসকলৰ আগলৈ আগবঢ়ালোঁ। এই সংখ্যাত প্ৰকাশিত গল্পকেইটিয়ে সপ্তম দশকৰ অসমীয়া সৃষ্টি-প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। আজি কিছুদিন ধৰি আমাৰ জাতীয় জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে অসমৰ যৌৱন-শক্তিৰ জাগৰণৰ কলৰৱ শুনা গৈছে; হাজাৰ বাধা-বিঘিনিয়েও তাক হেঁচা মাৰি ধৰি ৰাখিব পৰা নাই। সৃষ্টিধৰ্মী সাহিত্যৰ ক্ষেত্ৰত সেই জাগৰণে কেনে ৰূপ লৈছে তাৰ সামান্য আভাস এই বিশেষ গল্প সংখ্যাৰ গল্পকেইটাতে পোৱা যাব। যৌৱনৰ উৎসৱ বিহুৰ দিনা অসমীয়া সাহিত্যৰ নবীন এই অৰ্ঘ্যটিয়েই হ'ল সদৌ অসমীয়া ৰাইজৰ প্ৰতি আমাৰ বিহুৰ বিহুৱান।

বাংলাদেশ আৰু আমি

বাংলাদেশৰ মুক্তিযুঁজ গৌৰৱোজ্জ্বল অথচ চৰম গুৰুত্বপূৰ্ণ দ্বিতীয় মাহত সোমাল। পশ্চিম পাকিস্তানৰ সেনাবাহিনীয়ে মুক্তিকামী আৰু সাহসী বাংলাদেশবাসীৰ হাতত শোচনীয় বিপৰ্যয় আৰু নিশ্চিত পৰাজয়ৰ পৰা ৰক্ষা পৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে আৰু যুদ্ধৰ সাধাৰণ নীতি-নিয়ম আৰু মানৱতাৰ সকলো বিচাৰ-বিবেচনা ভৰিৰে মোহাৰী লগতে দেশ-বিদেশৰ ব্যাপক নিন্দা আৰু প্ৰতিবাদকো আওকাণ কৰি চৰম বৰ্বৰতাৰে বাংলাদেশত এক অভুতপূৰ্ব গণহত্যা সংঘটিত কৰিছে। মুক্তি লাভ আৰু অস্তিত্ব ৰক্ষাৰ তাড়নাত বাংলাদেশৰ ৰাইজে দুৰ্জয় মনোবলেৰে এক অসমান সংগ্ৰামত জঁপিয়াই পৰিছে আৰু সীমিত সম্পদ আৰু শকতিৰে অভাৱনীয় সফলতা অৰ্জন কৰিছে। কুখ্যাত দুই-জাতি নীতি আৰু ধৰ্মকেন্দ্ৰিক ৰাষ্ট্ৰীয়তাৰ চনকা ভেটিত প্ৰতিষ্ঠিত পাকিস্তান নামৰ ৰাষ্ট্ৰখন নিশেষ হৈ গ'ল। পশ্চিম পাকিস্তানী সামৰিক-ঔদ্যোগিক চক্ৰৰ উপনিৱেশীয় শাসন আৰু শোষণৰ বান্ধ চিঙি বাংলাদেশৰ মুক্তিকামী ৰাইজে স্বাধীন সাৰ্বভৌম বাংলাদেশ গঠন কৰিলে, নিজস্ব চৰকাৰ গঠন কৰিলে আৰু বাংলাদেশৰ শতকৰা নৱৈভাগ অঞ্চলত নতুন চৰকাৰৰ প্ৰশাসনীয় কৰ্তৃত্ব প্ৰতিষ্ঠা কৰিলে। এতিয়া পশ্চিম পাকিস্তানৰ দখলদাৰী সেনাবাহিনীক স্বাধীন বাংলাভূমিৰ পৰা সম্পূৰ্ণভাৱে উচ্ছন কৰিবৰ বাবে বাংলাদেশ চৰকাৰে বিশ্বৰ ৰাষ্ট্ৰসমূহৰ পৰা ৰাজনৈতিক স্বীকৃতি বিচাৰিছে আৰু সকলো ধৰণৰ সাহায্য আৰু সমৰ্থনৰ বাবে আবেদন জনাইছে। বাংলাদেশৰ পৰিস্থিতিয়ে এতিয়া পৰিষ্কাৰ কৰি দিছে যে কেৱল ধৰ্মৰ নামতে জাতি বা ৰাষ্ট্ৰ গঠন হ'ব নোৱাৰে; জাতি বা ৰাষ্ট্ৰীয়তাৰ বাবে একান্ত অপৰিহাৰ্য্য উমৈহতীয়া সামাজিক আৰু অৰ্থনৈতিক সমস্যা আৰু প্ৰয়োজনীয়তা; অপৰিহাৰ্য্য ভাষাগত আৰু সাংস্কৃতিক পৰম্পৰা; অপৰিহাৰ্য্য একেলগে বসবাস কৰি সমতা আৰু অগ্ৰগতিৰ মাধ্যমেৰে উমৈহতীয়া ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক লক্ষ্যত উপনীত হোৱাৰ বাবে স্বতঃস্ফুৰ্ত ইচ্ছা আৰু হাবিয়াস। ৰক্তস্নাত বাংলাদেশে এক নিখুঁত ৰাষ্ট্ৰীয়তাৰ ছবি দাঙি ধৰিছে; বাংলাদেশে আন্তঃৰাষ্ট্ৰীয় নীতি আৰু কূটনীতিৰ প্ৰচলিত মাপকাঠিসমূহলৈ কঠোৰ প্ৰত্যাহ্বান জনাইছে; বাংলাদেশে এচিয়াৰ এইখন বৃহৎ উপ-মহাদেশত অসম্পূৰ্ণ হৈ থকা মুক্তিসংগ্ৰামৰ সম্পূৰ্ণতা ওচৰ চপাই আনিছে; বাংলাদেশৰ জনসাধাৰণৰ দুই দশকৰ অধিক কাল জোৰা মৌলিক মানৱীয় অধিকাৰ, মৰ্য্যাদা আৰু আত্ম-সন্মানৰ সংগ্ৰাম তীব্ৰ গতিত চৰম বিন্দুমুখী হৈছে; প্ৰতিবেশী ৰাষ্ট্ৰ, বিশেষকৈ ভাৰতৰ বাবে বাংলাদেশে এক নতুন পৰিপ্ৰেক্ষিতৰ সূচনা কৰিছে।

কিন্তু চৰম দুৰ্ভাগ্যজনক কথা এয়ে যে বাংলাদেশৰ ৰাইজৰ এই মহান আত্ম-ত্যাগ আৰু সাহস আন্তৰ্জাতিকভাৱে স্বীকৃত হোৱা নাই; এওঁলোকৰ আকুল আবেদনে বিশ্বৰ বৃহৎ-মধ্যম-ক্ষুদ্ৰ শক্তিবৰ্গৰ পৰা যথোপযুক্ত সঁহাৰি লাভ কৰা নাই। চোভিয়েট ৰাছিয়াই বৃহৎ শক্তিবৰ্গৰ ভিতৰত সৰ্বপ্ৰথমে পশ্চিম পাকিস্তানী সামৰিক শাসকবৰ্গলৈ সতৰ্কবাণী পঠিয়াই শ্ৰদ্ধা অৰ্জন কৰিছে যদিও বাংলাদেশক স্বীকৃতি দিয়া নাই। আমেৰিকা আৰু বৃটেইনে মূলতঃ বাংলাদেশৰ মুক্তি-সংগ্ৰামক পাকিস্তানৰ আভ্যন্তৰীণ বিষয় বুলি গণ্য কৰিছে আৰু সংগ্ৰামক বিচ্ছিন্নতাবাদী আন্দোলন বুলিহে ক'বলৈ প্ৰয়াস কৰিছে। চীনে পশ্চিম পাকিস্তানী

সামৰিক চক্ৰক সমৰ্থন কৰিছে। আৰব আৰু মধ্য এচীয় ৰাষ্ট্ৰসমূহ অভাৱনীয়ভাৱে নিমাতে আছে। ইৰাণ আৰু তুৰস্কই য়াহায়া-চক্ৰৰ লগত সমৰ্থনপূৰ্ণ যোগাযোগ চলাই আছে। দক্ষিণ-পূব এচিয়াৰ অন্যান্য ৰাষ্ট্ৰসমূহ নিৰব। একমাত্ৰ ভাৰতেহে এই ক্ষেত্ৰত সঠিক মনোভাব গ্ৰহণ কৰিছে। ভাৰতীয় সংসদে বাংলাদেশৰ এই সংগ্ৰামৰ প্ৰতি ভাৰতৰ ৰাইজ আৰু চৰকাৰৰ সৰ্বান্তঃকৰণ সহানুভূতি আৰু সমৰ্থন আগবঢ়াইছে। বিভিন্ন ৰাজ্যৰ বিধানসভাসমূহেও অনুৰূপ ভাব প্ৰকাশ কৰিছে। ভাৰতীয় জনসাধাৰণে নিজ চৰকাৰকে ধৰি বিশ্বৰ সকলোৰে প্ৰতি একসুৰে এই আহ্বান জনাইছে যে যিহেতু বাংলাদেশৰ সংগ্ৰাম মানৱীয় অধিকাৰ ৰক্ষাৰ আৰু অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম, ই কেতিয়াও পশ্চিম পাকিস্তানী সামৰিক শাসকচক্ৰৰ আভ্যন্তৰীণ বিষয় হ'ব নোৱাৰে আৰু সেয়া সুসভ্য চৰকাৰসমূহে অনতিপলমে স্বাধীন বাংলাদেশ চৰকাৰক ৰাজনৈতিক স্বীকৃতি দান কৰি বৰ্বৰ পশ্চিম পাকিস্তানী সামৰিক-চক্ৰক গণহত্যাৰ অপৰাধৰ বাবে উচিত শিক্ষা দিব লাগে। ভাৰতীয় জনসাধাৰণে লগতে ইয়াকো বিচাৰে যে যিহেতু স্বাধীনতা আৰু মুক্তিকামী জনসাধাৰণৰ প্ৰতি সৰ্বাত্মক সহানুভূতি আৰু সমৰ্থন আগবঢ়োৱাটো ভাৰতৰ গৌৰবোজ্জ্বল ঐতিহ্য আৰু পৰম্পৰাধীন, সেয়ে ভাৰত চৰকাৰে বাংলাদেশৰ চৰকাৰক স্বীকৃতি দান কৰাত মুঠেই পলম কৰিব নালাগে। তদুপৰি ভাৰতে নিজ স্বাৰ্থতে বাংলাদেশৰ প্ৰতি সম্ভৱপৰ সকলো সাহায্য-সমৰ্থন আগবঢ়াব লাগে, কিয়নো প্ৰতিবেশী এখন নতুন ৰাষ্ট্ৰ গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ আৰু ভাৰতৰ প্ৰতি বন্ধুত্বপূৰ্ণ হোৱাটো ভাৰত তথা এচিয়াৰ শান্তি আৰু প্ৰগতিৰ বাবে সৰ্বাধিক সহায়ক হ'ব। ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ স্বকীয় ভৌগোলিক অৱস্থান আৰু বাংলাদেশৰ জনসাধাৰণৰ সৈতে এই অঞ্চলটোৰ ৰাইজৰ ঐতিহাসিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু সামাজিক সম্পৰ্কৰ কথাও এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। তদুপৰি ভৌগোলিক আৰু ভাব-আবেগিক সামীপ্যৰ ফলস্বৰূপে বাংলাদেশৰ পৰা অসম, মেঘালয়, ত্ৰিপুৰা আৰু পশ্চিমবঙ্গলৈ প্ৰাণ লৈ পলাই অহা লাখ লাখ শৰণাৰ্থীৰ প্ৰতি নিম্নতম মানৱীয় কৰ্তব্যৰ দাবী আৰু ইয়াত অন্তৰ্নিহিত সুদূৰপ্ৰসাৰী বিচাৰ-বিবেচনায়ো ভাৰতৰ ওপৰত এক অসাধাৰণ আৰু অসামান্য গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰিছে। এই দায়িত্ব কোনোপধ্যেই নিৰ্লিপ্ত, নিষ্ক্ৰিয় বা নেতিবাচক উপায়েৰে পালন কৰিব নোৱাৰি; এক সুনিৰ্দিষ্ট আৰু সুস্পষ্ট নীতি আৰু কাৰ্য্যকলাপ এই দায়িত্ব পালনৰ বাবে অৱশ্যম্ভাবী। এই কথা কোৱাই বাহুল্য যে বাংলাদেশৰ জনসাধাৰণৰ এই সঙ্কটপূৰ্ণ মুহূৰ্তত নিশ্চিত আৰু ক্ষিপ্ৰ জয়লাভৰ বাবে যদি নিশ্চয়তা দান কৰিব নোৱাৰি; যদি এই উপ-মহাদেশখনৰ পৰা সামৰিক এক-নায়কত্বক নিৰ্মূল কৰিব নোৱাৰি; যদি উপ-মহাদেশখনৰ বাবে চৌবিশ বছৰীয়া অভিশাপস্বৰূপ সামৰিক শাসকচক্ৰক উচ্ছন্ন কৰিব নোৱাৰি; যদি উপ-মহাদেশখনৰ বাবে স্থায়ী শান্তি আৰু সম্প্ৰীতি অৰ্জনৰ সৰ্ববৃহৎ এই সুযোগৰ সদ-ব্যৱহাৰ কৰিব নোৱাৰি, যদি প্ৰচলিত এলেহুৱা আন্তৰ্জাতিক প্ৰথা আৰু ৰাজনৈতিক মাপকাঠিকে সাৱটি ধৰি থাকিবলৈ গৈ নতুন পৰিপ্ৰেক্ষিত আৰু প্ৰেৰণা হৃদয়ঙ্গম কৰা নহয়; যদি সময়ৰ আহ্বান আমি আওকাণ কৰোঁ আৰু সৰ্বশেষত কোনে কি কৰা উচিত সেই তাড়ণাৰে নহয়, কোনে সুবিধা বুজি কি কৰিছে বা নাই কৰা তালৈ চাইহে যদি আমি আমাৰ গতি আৰু কাৰ্য্যপন্থা নিৰ্ণয় কৰিবলৈ চিৰ অপেক্ষা কৰি ৰওঁ, তেনেহ'লে আমাৰ বাবে অন্তহীন অপেক্ষাই সাৰ হ'ব আৰু যুগ যুগ ধৰি আমি আমাৰ অকৰ্মণ্যতাৰ ফল ভোগ কৰিব লাগিব। বাংলাদেশৰ মুক্তিসংগ্ৰামৰ চৰম গুৰুত্বপূৰ্ণ এই মুহূৰ্তটোত ভাৰতৰ সুস্থ, সবল, সক্ৰিয় আৰু সাহসী নীতি আৰু কাৰ্য্যপন্থা গ্ৰহণত যাতে অকণো হেলা আৰু বিলম্ব নঘটে তাকে আমি বিচাৰো।

লামডিঙৰ ঘটনা আৰু তাৰ প্ৰতিক্ৰিয়া

যোৱা ২৭ এপ্ৰিল তাৰিখে লামডিঙৰ ৰেলৱে ষ্টেচনত ঘটা এটা ঘটনাক কেন্দ্ৰ কৰি গুৱাহাটী প্ৰমুখ্যে অসমৰ বিভিন্ন ঠাইত কিছু অশান্তিয়ে দেখা দিয়ে। এনে ধৰণৰ ঘটনা এয়েই প্ৰথম নহয়। অতীতত এনে ঘটনা বহুবাৰ ঘটি গৈছে, ভৱিষ্যতেও কেতিয়াও পুনৰ নঘটিব বুলি কোনেও বুকুত হাত দি ক'ব নোৱাৰে। আচলতে সময়ে সময়ে ঘটি থকা অপ্ৰীতিকৰ ঘটনাবোৰ এটা অতি পুৰণি আৰু জটিল সামাজিক ব্যাধিৰ উপসৰ্গ বা লক্ষণহে, আচল ব্যাধিটো নহয়। গতিকে আচল ব্যাধিটো কি সেইটো জানি তাক দূৰ কৰিবলৈ চেষ্টা নকৰালৈকে আমাৰ সমাজ তাৰ পৌনঃপুনিক আক্ৰমণৰ পৰা মুক্ত হ'ব পৰাৰ কোনো আশা নাই। চিফিলিচ ৰোগত আক্ৰান্ত হোৱা বহুতো ৰোগীয়ে শৰীৰত ৰোগৰ লক্ষণ ফুটি উঠা দেখা মাত্ৰেই কেইটামান পেনিচিলিনৰ ইনজেকচন লয়; ফলত বাহ্যিক লক্ষণবোৰ অদৃশ্য হৈ যায় আৰু তেওঁলোকেও নিজকে ৰোগমুক্ত হোৱা বুলি ভাবে। কিন্তু আচলতে যিমান বেজী ল'ব লাগে সিমান নোলোৱাৰ ফলত ভিতৰে ভিতৰে ৰোগ বাঢ়িবলৈ ধৰে, আৰু এদিন সি ভয়ঙ্কৰ ৰূপত আত্মপ্ৰকাশ কৰে। আমাৰ সমাজ-দেহত হোৱা ৰোগৰ চিকিৎসাবোৰো ঠিক তেনেকুৱা ধৰণৰেই হয়। বাহিৰত কিবা এটা অশান্তি বা বিক্ষোভ ফুটি উঠা যেন দেখিলেই চৰকাৰে পুলিচী-ব্যৱস্থাৰ পেনিচিলিন দি বা ৰাইজক নানা নৈতিক উপদেশৰ ভৰণ দি ৰোগৰ লক্ষণবোৰ হেঁচা মাৰি থৈ দিয়ে আৰু ৰোগ ভাল হোৱা বুলি ভাবি কিছুদিনৰ কাৰণে স্বস্তিৰ নিশ্বাস পেলায়। কিন্তু ইফালে ৰোগৰ আচল বিজাণু নিৰ্মূল নোহোৱাৰ কাৰণে সি ভিতৰে ভিতৰে বাঢ়ি গৈ থাকে আৰু সময়ত গৈ সি দুৰাৰোগ্য হৈ পৰে। যোৱা বহু বছৰ ধৰি অসমত ঠিক এই ঘটনাই ঘটিব ধৰিছে।

আমি অনুভৱ কৰোঁ যে অসমত সময়ে সময়ে ঘটি থকা এই সামাজিক সংঘৰ্ষবোৰৰ মূল কাৰণসমূহ তন্ন তন্নকৈ বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন আছে। তাৰ কাৰণে যদি কিবা অপ্ৰিয় সত্য কোৱাৰ প্ৰয়োজন হয় তাকো ক'ব লাগিব, কাৰণ অপ্ৰিয় সত্যক ঢাকি ৰাখি কাৰো একো লাভ হোৱা নাই। বৰং খোলাখুলি আলোচনাই সাময়িকভাৱে কাৰোবাক মনোকষ্ট দিলেও ভৱিষ্যতে কিন্তু তাৰ পৰা স্থায়ী লাভ হোৱাৰ আশা আছে। দুখৰ কথা এই যে যৌন-বিষয়ক আলোচনাৰ দৰে সাম্প্ৰদায়িক সংঘৰ্ষৰ আলোচনাও আমাৰ দেশত এটা প্ৰায় নিষিদ্ধ বিষয়। ক'ৰবাত সাম্প্ৰদায়িক সংঘৰ্ষ হ'লে বাতৰি কাকতৰ বিপৰ্টত সংশ্লিষ্ট সম্প্ৰদায়কেইটাৰ কেতিয়াও নাম কোৱা নহয়; 'সংখ্যা গৰিষ্ঠ' বা 'সংখ্যা লঘিষ্ঠ' আদি অৰ্থহীন আৰু বিভ্ৰান্তিকৰ বিশেষণৰ ব্যৱহাৰ কৰিয়েই বিবাদমান সম্প্ৰদায়কেইটাৰ আচল পৰিচয় গোপন ৰাখিবলৈ চেষ্টা কৰা হয়। কিন্তু তাৰ দ্বাৰা চৰকাৰে বা বাতৰি কাকতে নিজকে ফাঁকি দিয়াৰ বাহিৰে আন কাকো ফাঁকি দিব নোৱাৰে। তদুপৰি এনেবোৰ বালকোচিত লুকাভাকু খেলাৰ দ্বাৰা দেশত এটাও সাম্প্ৰদায়িক সংঘৰ্ষ কম হোৱা নাই, বৰং সি দিনে দিনে বাঢ়িবহে লাগিছে। লৰ্ড এক্টনৰ দৰেই আমিও বিশ্বাস কৰোঁ যে— Everything secret degenerates; nothing is safe that does not show it can beared succession and publicity.

সম্পাদকীয় প্ৰবন্ধৰ ক্ষুদ্ৰ পৰিসৰত সাম্প্ৰদায়িক সংঘৰ্ষৰ পূৰ্ণাঙ্গ বিশ্লেষণ সম্ভৱ নহয়। আমি কেইটামান ইঙ্গিতহে দিবলৈ চেষ্টা কৰিম। প্ৰথমেই এটা কথা মনত ৰখা দৰকাৰ যে অসমৰ আটাইকেইটা উল্লেখযোগ্য

সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে দেশ স্বাধীন হোৱাৰ পিচত। ইয়াৰ কাৰণ যাইকৈ চাৰিটা— (১) পৰিবৰ্তিত অৱস্থাত পুলিচৰ নতুন ভূমিকা; (২) জনসাধাৰণৰ নতুন আশা-আকাংক্ষা আৰু অধিকাৰ সচেতনতা; (৩) ক্ৰমবৰ্ধমান ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতা আৰু (৪) সীমান্তত একাধিক শত্ৰু-ৰাষ্ট্ৰৰ অৱস্থিতি।

অসমত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষবোৰক দুটা ভাগত ভাগ কৰিব পাৰি। এটা ভাগ হ'ল হিন্দু আৰু মুছলমানৰ মাজত হোৱা সংঘৰ্ষ, আনটো হ'ল অসমীয়া আৰু অনা-অসমীয়াৰ মাজত হোৱা সংঘৰ্ষ। সুখৰ কথা যে হিন্দু আৰু মুছলমানৰ মাজত হোৱা সংঘৰ্ষ ভাৰতৰ অন্যান্য ৰাজ্যতকৈ অসমত তেনেই কম; খিলঞ্জীয়া অসমীয়া হিন্দু-মুছলমানৰ মাজত এনে সংঘৰ্ষ নাই বুলিলেই হয়। ১৯৫০ চনৰ পাচত হিন্দু-মুছলমানৰ সংঘৰ্ষ ব্যাপক ভিত্তিত অসমত হোৱা নাই। কিন্তু সেই বুলি এনে সংঘৰ্ষৰ সম্ভাৱনা সমূলি নাই বুলি ধৰি ল'লে ডাঙৰ ভুল কৰা হ'ব। কেইবছৰমান আগতে যোৰহাট আৰু তিনিচুকীয়া আদি ঠাইত হোৱা সীমাবদ্ধ কিন্তু ঘণীভূত আকাৰৰ হিন্দু-মুছলমানৰ বিবাদে এনে সম্ভাৱনাৰ অস্তিত্ব প্ৰমাণ কৰিছে। হিন্দু-মুছলমানৰ সংঘৰ্ষৰ সম্ভাৱনা এতিয়া আগতকৈ কিছু বাঢ়িছেহে। তাৰ কাৰণ হ'ল অসমত পাকিস্তানী চোৰাংচোৱা চক্ৰৰ ব্যাপক কৰ্ম-তৎপৰতা। পাকিস্তানৰ দালাল আৰু চোৰাংচোৱাই অসমত সাম্প্ৰদায়িক অশান্তিকে ধৰি বিভিন্ন ধৰণৰ অশান্তি সৃষ্টি কৰিবলৈ অবিৰামভাৱে চেষ্টা কৰি আহিছে। আমাৰ জনসাধাৰণে সামান্য ভুল কৰিলেই এই পাকিস্তানী দালালসকলৰ উদ্দেশ্য সিদ্ধ হোৱাত সহায় হয়। এটা কথা মনত ৰখা দৰকাৰ যে বিদেশী চোৰাংচোৱা বা দালালে সবল আৰু স্পষ্ট পথেৰে কোনো ধৰণৰ সংঘৰ্ষৰ সৃষ্টি নকৰে, কাৰণ তাকে কৰিলে তেওঁলোকৰ স্বৰূপটো ওলাই পৰাৰ ভয় থাকে। দীৰ্ঘদিন ধৰি প্ৰস্তুতি চলাই আৰু অতিশয় সুক্ষ্মবুদ্ধি প্ৰয়োগ কৰি এনে সুপৰিকল্পিতভাৱে তেওঁলোকে এই সংঘৰ্ষবোৰৰ সৃষ্টি কৰে যে সংঘৰ্ষত জড়িত বেছিভাগ লোকে নিজেই হয়তো উৰহী গছৰ ওৰটো ক'ত আছে সেই কথা নাজানে। আধুনিক ৰাজনীতি অতিশয় জটিল বস্তু, ই ল'ৰাৰ ধেমালি নহয়। আনহাতে অশান্তি সৃষ্টিত নিয়োজিত বিদেশী দালালসকল অতিশয় বুদ্ধিমান আৰু প্ৰশিক্ষণপ্ৰাপ্ত লোক। তেওঁলোকৰ যাই মূলধন হ'ল স্থানীয় মানুহৰ ভাবাতিশয্য বা আবেগ-প্ৰৱণতা। আমাৰ যিসকল ডেকা ল'ৰাই জাতীয় স্বাৰ্থত বিভিন্ন আন্দোলন কৰে বা কেতিয়াবা খণ্ডৰ ভমকত মাৰ-পিট কৰিবলৈকো আগবাঢ়ে, তেওঁলোকৰ উদ্দেশ্যৰ সততা সম্পৰ্কে কোনো সন্দেহ নাই। কিন্তু কোনো এটা কামত হাত দিয়াৰ পূৰ্বেই তেওঁলোকে যদি ঠাণ্ডা মগজেৰে প্ৰত্যেকটো তথ্য আৰু ঘটনাকে তন্ন তন্ন কৈ পৰীক্ষা কৰি নাচায়, তেন্তে তেওঁলোকে প্ৰকৃততে কাৰ হৈ বা কাৰ স্বাৰ্থৰ কাৰণে যুদ্ধ কৰিছে সেই কথা কোৱা টান হৈ পৰে। মনত ৰখা দৰকাৰ যে Agent provocateur সকল অতিশয় ঠাণ্ডা আৰু হিচাবী মগজুৰ মানুহ; দীৰ্ঘদিন ধৰি ক্ষেত্ৰখন প্ৰস্তুত নকৰাকৈ তেওঁলোকে একো কাম নকৰে। আনহাতে খেৰৰ জুইৰ দৰে দপ্‌কৈ জ্বলি উঠি নুমাই যোৱা বেছিভাগ বিক্ষোভ বা আন্দোলনবেই নেতাসকল অতিমাত্ৰাই উচ্ছ্বাসপ্ৰৱণ; তেওঁলোকে সদায় react হে কৰে, reeffect কেতিয়াও নকৰে। ফলত নিজৰ অজ্ঞাতেই তেওঁলোক দেশৰ আৰু সমাজৰ শত্ৰুৰ হাতত ক্ৰীড়নক হৈ পৰাৰ সম্ভাৱনা থাকে। আমাৰ সুচিন্তিত ধাৰণা এই যে অসমত এনে ঘটনা ইতিপূৰ্বেই একাধিক বাৰ ঘটিছে; চৰকাৰ আৰু জনসাধাৰণ অতিমাত্ৰাই সতৰ্ক নহ'লে এনে ঘটনা আকৌ বহুবাৰ ঘটিব।

অসমত ঘটা দ্বিতীয়বিধ সাম্প্ৰদায়িক সংঘৰ্ষত জড়িত পক্ষ দুটা হ'ল অসমীয়া আৰু অনা-অসমীয়া। অনা-অসমীয়া সম্প্ৰদায়কো আকৌ দুটা ভাগত ভাগ কৰি দেখুৱাব পাৰি। এভাগ হ'ল বাঙালী, আনভাগ হ'ল মাৰোৱাৰী-গুজৰাটী-পাঞ্জাবী প্ৰমুখ্যে আন সকলো অনা-অসমীয়া আৰু অবাঙালী লোক।

ঘাইকৈ দুটা কাৰণত সাম্প্ৰদায়িক সংঘৰ্ষবোৰ সংঘটিত হয়— এটা হ'ল অৰ্থনৈতিক, আনটো সাংস্কৃতিক। অসমীয়া আৰু অনা-অসমীয়া সংঘৰ্ষৰ মূলতে এই দুয়োটা কাৰণেই নিহিত আছে। কিন্তু অবাঙালী অনা-অসমীয়াৰ লগত হোৱা সংঘৰ্ষৰ মুখ্য কাৰণ অৰ্থনৈতিক, গৌণ কাৰণ সাংস্কৃতিক। আনহাতে বাঙালীৰ লগত হোৱা সংঘৰ্ষৰ মুখ্য কাৰণ সাংস্কৃতিক, গৌন কাৰণ অৰ্থনৈতিক।

কিন্তু কাৰণটো যিয়েই নহওক, সকলো সামাজিক সংঘৰ্ষৰে মূল উদ্দীপনা হ'ল ভয় বা নিৰাপত্তাবোধৰ অভাৱ। প্ৰথমতে বাঙালীৰ লগত হোৱা সংঘৰ্ষৰ কথাই ধৰা যাওক। বাঙালীসকল আমাৰ নিকটতম প্ৰতিবেশী; পৃথিবীৰ এনে আন দুটা জাতি নাই যি দুটা জাতিৰ মাত-কথা, আচাৰ-ব্যৱহাৰ আৰু চাল-চলন অসমীয়া আৰু বাঙালীতকৈ বেচি অধিক ঘনিষ্ঠ বা সমধৰ্মী। তথাপি অসমত এই দুটা সম্প্ৰদায় কিয় আজিও সম্পূৰ্ণ মিলেৰে চলিব পৰা নাই? ইয়াৰ মূল কাৰণ হ'ল নিজৰ ৰাজ্যত অসমীয়া ভাষাৰ সম্পূৰ্ণ নিৰাপত্তাবোধৰ অভাৱ। অসমত বৃটিছ-শাসন স্থাপিত হোৱাৰ লগে লগেই বাংলা ভাষাই অসমীয়া ভাষাক স্থানাচ্যুত কৰি অসমীয়া জাতিৰ মনত যি ভয়-সন্দেহৰ ভাব সুমুৱাই থৈ গ'ল, আজি এশ বছৰৰ পিচতো সেই ভয় আৰু সন্দেহ সমূলি দূৰ হোৱা নাই। অসমত স্থায়ীভাৱে বাস কৰা বাঙালীসকলেও সেই ভয়ৰ ভাব দূৰ কৰিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে সময়ে সময়ে তাক বৃদ্ধি কৰিবৰ কাৰণেহে নানা ভুল পন্থা অৱলম্বন কৰি আহিছে। তাৰ ডাঙৰ প্ৰমাণ হ'ল ১৯৬০ চনৰ অসমৰ চৰকাৰী ভাষা কি হ'ব সেইটো নিৰ্ণয় কৰিবৰ সময়ত বাঙালী সম্প্ৰদায়ৰ এক অংশ লোকে লোৱা ভূমিকা। এতিয়া সেই ভয়ৰ কাৰণ আগতকৈ বাঢ়িবহে লাগিছে। তাৰ প্ৰধান কাৰণ হ'ল দেশ-বিভাজনৰ পিচত এক বিৰাট সংখ্যক বাঙালী শৰণাৰ্থীৰ অসমলৈ আগমন। ১৯৬১ চনৰ লোক-পিয়ল অনুসৰি অসমত অসমীয়া মানুহৰ মনত এটা ডাঙৰ আতঙ্কৰ ভাব সোমাইছে যে বাহিৰৰ পৰা যদি অসমলৈ এনেকৈ জন-স্ৰোত বৈয়েই থাকিবলৈ হয়, তেন্তে অদূৰ ভৱিষ্যতত এদিন অসমীয়া ভাষী মানুহ নিজৰ ৰাজ্যতে সংখ্যালঘু সম্প্ৰদায়ত পৰিণত হ'ব আৰু তাৰ ফলত অসমীয়া ভাষাৰ অস্তিত্ব বিপদাপন্ন হৈ পৰিব। অসমীয়া মানুহে ভাবে যে অসম দেশ আৰু বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকা অসমীয়া জাতিৰ ঐতিহাসিক Home-land বা গৃহ-দেশ। বাহিৰৰ পৰা অহা মানুহক আমি থাকিবলৈ আশ্ৰয় দিব পাৰোঁ, কিন্তু এক অভিনৱ অহিংস উপায়েৰে আমাৰ ৰাজ্যখন জয় কৰি বা অধিকাৰ কৰি আমাক আমাৰ নিজৰ ৰাজ্যতে আলহী কৰিবলৈ কেতিয়াও এৰি দিব নোৱাৰোঁ। বাংলাদেশত হোৱা যুদ্ধৰ ফলত পুনৰ লাখ লাখ বাঙালী শৰণাৰ্থী অসমলৈ অহাৰ কাৰণে আৰু এক ভাষা-ভিত্তিক বাংলা জাতীয়তাবাদে উগ্ৰ ৰূপ ধাৰণ কৰাৰ কাৰণে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ চিন্তা আজি আগতকৈ হাজাৰ গুণে বৃদ্ধি পাইছে। লামডিঙত হোৱা এটা ক্ষুদ্ৰ ঘটনাক কেন্দ্ৰ কৰি অসমৰ বিভিন্ন ঠাইত যি ব্যাপক অশান্তিয়ে দেখা দিছে সি এই ভয় বা দুশ্চিন্তাৰেই উগ্ৰ বহিৰ্প্ৰকাশ মাত্ৰ। তাতে লামডিং-হোজাই অঞ্চলটো হ'ল অসমৰ ভিতৰতে এখন মিনিয়েচাৰ বঙ্গদেশ। সেই অঞ্চলটো অসমীয়া ভাষাৰ আত্ম-মৰ্য্যাদা আৰু অস্তিত্বৰ প্ৰতি এটা ডাঙৰ চেলেঞ্জ। তাত অসমীয়া স্কুল পুৰি পেলোৱা হয়, অসমীয়া কথাছবিৰ প্ৰদৰ্শন জোৰ কৰি বন্ধ কৰি দিয়া হয়, অসমীয়া মানুহক নিজৰ ৰাজ্যতে প্ৰবাসী বুলি অনুভৱ কৰিবলৈ বাধ্য কৰোৱা হয়। সেই কাৰণে তাত ঘটা যিকোনো ঘটনাই তিলটোৱেই তালত পৰিণত হয়।

মুঠতে অসমীয়া-বাঙালীৰ সংঘৰ্ষ মূলতে এটা সাংস্কৃতিক সংঘৰ্ষ, আৰু সেই সংঘৰ্ষৰ মূল কাৰণ হ'ল অসমীয়া জাতিৰ মনত বদ্ধমূল হৈ পৰা এটা দীৰ্ঘস্থায়ী ভয় বা সাংস্কৃতিক নিৰাপত্তাৰ অভাৱ। কোনো নৈতিক উপদেশ বা আইন শৃংখলা ৰক্ষাৰ সাময়িক কাৰ্য্য-ব্যৱস্থাই সেই সংঘৰ্ষৰ মূল কাৰণ স্থায়ীভাৱে

দূৰীভূত কৰিব নোৱাৰে। এই বেমাৰটো সম্পূৰ্ণৰূপে আৰোগ্য কৰিবৰ কাৰণে ভয় ৰূপী বীজাণুটো সমূলি নিৰ্মূল কৰিব লাগিব। কিন্তু কেৱল মুখৰ কথাৰেই এই ভয় কেতিয়াও সম্পূৰ্ণৰূপে দূৰ নহয়। অসমত বাঙালী ভাষাৰ সাম্ৰাজ্য-বিস্তাৰৰ সকলো প্ৰকাশ্য আৰু গোপন চেষ্টা ততালিকে বন্ধ কৰাটোৱেই হ'ল এই ভয় দূৰ কৰাৰ আৰু সাংস্কৃতিক সম্প্ৰীতি স্থাপন কৰাৰ প্ৰথম আৰু প্ৰধান চৰ্ত। বাঙালীসকলেও এই কথা উপলব্ধি কৰা উচিত যে তেওঁলোকে যেনেকৈ নিজৰ ভাষাক প্ৰাণতকৈয়ো অধিক ভাল পায়, অসমীয়াসকলৰো তেনেকৈ নিজৰ ভাষাক ভাল পোৱাৰ সম্পূৰ্ণ অধিকাৰ আছে। বাংলাদেশত বাংলা-ভাষী লোকৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে আজি অসমীয়া জাতিয়ে বাঙালীসকলৰ সমানেই বা তাতকৈ বেচিকৈহে অকুণ্ঠ নৈতিক সমৰ্থন আগবঢ়াইছে। অসমীয়া ভাষী লোকসকলেও বাঙালীসকলৰ পৰা সদৃশ সহানুভূতি আৰু সমৰ্থন আশা কৰে। আনৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধাবান হ'ব পৰাটোৱেই সামাজিক সম্প্ৰীতিৰ মূল ভেটি। তাৰ অবিহনে সংঘৰ্ষ অনিবাৰ্য্য। গতিকে অসমীয়া-বাঙালীৰ স্থায়ী সম্প্ৰীতি স্থাপনৰ কাৰণে কৰিবলগীয়া প্ৰধান কামকেইটা হ'ল— (১) বাংলাদেশৰ যুদ্ধৰ ফলত যিসকল নতুন শৰণাৰ্থী অসমলৈ আহিছে তেওঁলোকে যথাসম্ভৱ সোনকালে নিজৰ দেশলৈ ঘূৰি যাব লাগিব আৰু [illegible] চৰকাৰেও স্পষ্টভাৱে তেনে আশ্বাস দিব লাগিব; (২) অসমত অসমীয়াই চিৰকালৰ কাৰণে একমাত্ৰ ৰাজ্যভাষা বুলি সকলো সম্প্ৰদায়ৰ লোকে অকুণ্ঠচিত্তে গ্ৰহণ কৰিব লাগিব আৰু অসম চৰকাৰেও ৰাজ্যভাষা আইনখন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত বৰ্তমানে অনুসৰণ কৰা নিৰ্বোধ শ্লথ-গতি পৰিহাৰ কৰিব লাগিব; (৩) অসমত স্থায়ীভাৱে বাস কৰা বাঙালীসকলে নিজৰ ভিতৰতে শিক্ষা-লাভ আৰু সাহিত্য-চৰ্চাৰ ক্ষেত্ৰত বাংলা ভাষা-সাহিত্যৰ অনুশীলন অব্যাহত ৰাখিও সকলো সামাজিক উদ্দেশ্যৰ কাৰণে অসমীয়া ভাষাকেই প্ৰধান ভাষাৰূপে গ্ৰহণ কৰিব লাগিব আৰু সেই কথা প্ৰকাশ্যভাৱে ঘোষণাও কৰিব লাগিব; (৪) লামডিং-হোজাইৰ দৰে অঞ্চলবোৰক বাংলাভাষাৰ দ্বীপ বা মিনিয়েচাৰ বঙ্গদেশ কৰাৰ চেষ্টা পৰিহাৰ কৰিব লাগিব; আৰু সৰ্বশেষত (৫) কলিক[illegible] কাকত-পত্ৰবোৰত অসমীয়া ভাষাৰ বিৰুদ্ধে সময়ে সময়ে প্ৰকাশ পোৱা সকলো বিষোদগাৰ, বক্ৰোক্তি আৰু অশ্ৰদ্ধাৰ মনোভাব চিৰকালৰ কাৰণে বন্ধ হ'ব লাগিব। সম্প্ৰীতিৰ প্ৰথম চৰ্তই হ'ল এৰা-ধৰাৰ মনোভাব। লাখ লাখ অসমীয়া মানুহ মাটিহীন হৈ থকা সত্ত্বেও আমি লাখ লাখ বাঙালী শৰণাৰ্থীৰ কাৰণে আমাৰ নিজৰ মাটি-ঘৰ এৰি দিছোঁ; এতিয়া আমি এইটো আশা কৰোঁ যে তেওঁলোকে যেন ব্যাপক প্ৰব্ৰজনৰ দ্বাৰা অহিংস উপায়েৰে অসম দেশ জয় কৰি অসমীয়া ভাষাক তাৰ হাজাৰ বছৰৰ স্ব-ভূমিৰ পৰা স্থানচ্যুত কৰাৰ অভিসন্ধি ত্যাগ কৰিব। ইয়াৰ অবিহনে অসমীয়া-বাঙালীৰ স্থায়ী সম্প্ৰীতি স্থাপনৰ আন কোনো পথ আমি দেখা নাই।

অবাঙালী অনা-অসমীয়াৰ লগত অসমীয়াৰ বিশেষ বিৰোধৰ মূল কাৰণ অৰ্থনৈতিক। অসমতেই পুৰুষানুক্ৰমে বসবাস কৰি ব্যৱসায়-বাণিজ্য কৰিও তেওঁলোকে অসমক নিজৰ ঘৰ বুলি ভবা নাই বা অসমীয়া মানুহক আপোন বুলি বিবেচনা কৰা নাই। অসম তেওঁলোকৰ কাৰণে এখন অৰ্থনৈতিক উপনিৱেশ মাত্ৰ। তেওঁলোকে অসমৰ পৰা ধন গুটি নি জমা কৰে বাহিৰত, বিনিয়োগ কৰে বাহিৰত, আনকি নিজৰ পিয়ন-চৌকিদাৰ পদৰ কাৰণেও মানুহ আনে বাহিৰৰ পৰাহে। অসমত নিবনুৱা সমস্যাই যেতিয়া উগ্ৰ ৰূপ ধাৰণ কৰা নাছিল, তেতিয়া এইবোৰ কথাৰ প্ৰতি অসমীয়া ডেকাই বিশেষ লক্ষ্য কৰা নাছিল। কিন্তু এতিয়া চকুৰে চাই থাকোঁতেই দিন-কাল সলনি হৈছে, লাখ লাখ অসমীয়া ডেকাই হাঁ-ভাত হাঁ-কাপোৰ বুলি বাটাই বাটাই ঘূৰি ফুৰিছে। এনে অৱস্থাতো যদি অনাঅসমীয়া ব্যৱসায়ী আৰু উদ্যোগপতিসকলে অসমীয়া ডেকাৰ ন্যায্য

আশা-আকাংক্ষাৰ প্ৰতি সহানুভূতি নেদেখুৱাই, তেন্তে কোনো ধৰণৰ শক্তি-প্ৰয়োগ বা আবেদন-নিবেদনেই অসমীয়া-অনাঅসমীয়াৰ সংঘৰ্ষৰ মূল কাৰণ স্থায়ীভাৱে দূৰীভূত কৰিব নোৱাৰে। পশ্চিম বঙ্গত উৎকং দাৰিদ্ৰ্য আৰু নিবনুৱা সমস্যাই জন্ম দিয়া নক্সাল-দৈত্যৰ ভয়ঙ্কৰ ৰূপ দেখি মাত্ৰ সৌ সিদিনা শ্ৰীবি-এম-বিড়লাই ঘোষণা কৰিছিল যে নিবনুৱা বাঙালী ডেকাৰ কাৰণে অতি সোনকালে দুই লাখ চাকৰিৰ সৃষ্টি কৰিব লাগিব। সময়মতে তেওঁৰ মনত সেইখিনি শুভ-বুদ্ধিৰ উদয় হোৱা হ'লে আজি হয়তো তেওঁ নক্সাল-দৈত্যৰ ভয়ঙ্কৰ ৰূপ দেখি বেঙে-মুটা গৰুৰ দৰে কঁপিব নালাগিলেহেঁতেন। অসমৰ ব্যৱসায়ী আৰু শিল্পপতিসকলেও এই কথা মনত ৰখা উচিত। কেৱল পুলিচ-মিলিটাৰীৰ আশ্ৰয় লৈ তেওঁলোকে কেতিয়াও নিৰ্ভয়ে আৰু নিশ্চিন্ত মনেৰে অসমত বাস কৰিব নোৱাৰে। নিজৰ ন্যায্য-প্ৰাপ্যৰ পৰা বঞ্চিত অসমীয়া ডেকাৰ খঙৰ উদগীৰণ মাজে সময়ে তেওঁলোকৰ শান্তি আৰু আৰাম বিঘ্নিত কৰিবই। গতিকে তেওঁলোকে যদি স্থানীয় অধিবাসীসকলৰ লগত সময়ে সময়ে হৈ থকা অপ্ৰীতিকৰ সংঘৰ্ষবোৰৰ অন্ত মাৰিব খোজে, তেন্তে তাৰ প্ৰধান উপায়কেইটা হ'ল— (১) অসমৰ পৰা আৰ্জিত ধন অসমতেই বিনিয়োগ কৰি এই ৰাজ্যৰ দ্ৰুত অৰ্থনৈতিক বিকাশৰ কাৰণে চেষ্টা কৰা, আৰু (২) সকলো অনা-অসমীয়া ব্যৱসায় আৰু উদ্যোগ-প্ৰতিষ্ঠানত শতকৰা ৮০ ভাগ চাকৰিত অসমীয়া ডেকাক নিযুক্তি দিয়া। তদুপৰি তেওঁলোকে অতি লোভৰ আশাত যিবোৰ অসৎ পন্থা অৱলম্বন কৰি স্থানীয় মানুহক নিৰ্মমভাৱে শোষণ কৰে সেইবোৰো চিৰকালৰ কাৰণে বন্ধ কৰিব লাগিব। তেওঁলোকৰ লগত অসমীয়া মানুহৰ বিৰোধৰ মূল কাৰণ যদিও অৰ্থনৈতিক, তথাপি সাংস্কৃতিক সংঘৰ্ষৰ সম্ভাৱনাও একেবাৰে নোহোৱা নহয়। যোৱা বিশ বছৰত অন্যান্য ৰাজ্যৰ পৰা ইমান বেচি মানুহ অসমলৈ আহিছে যে এই গতিৰে অনা-অসমীয়াৰ সংখ্যা বৃদ্ধি পাবলৈ হ'লে আৰু ৫০ বছৰমানৰ ভিতৰতে তেওঁলোকেইহে সংখ্যা-গৰিষ্ঠ হৈ পৰাৰ আশংকা আছে। সেই কাৰণে তেওঁলোকে এতিয়াৰ পৰাই যদি অন্ততঃ সামাজিক উদ্দেশ্যত অসমীয়া ভাষাক নিজৰ বুলি গ্ৰহণ নকৰে আৰু অসমত হিন্দী-গুজৰাটী-পাঞ্জাবী আদি ভাষাৰ বিস্তৃতিৰ কাৰণেহে চেষ্টা কৰে, তেন্তে আজি নহ'লেও কালিলৈ তেওঁলোকৰ লগতো এটা সাংস্কৃতিক সংঘৰ্ষ অনিবাৰ্য। বাংলাদেশৰ ঘটনাৱলীয়ে তাৰ সমীপৱৰ্তী অঞ্চলসমূহত এটা বিৰাট মনস্তাত্বিক জোঁকাৰণী দিছে; আমি ইচ্ছা কৰোঁ বা নকৰোঁ তাৰ প্ৰতিক্ৰিয়াই বহুতো মানুহৰ চিন্তা আৰু কৰ্মক প্ৰভাৱিত নকৰাকৈ কেতিয়াও নাথাকে।

অসমীয়া আৰু অনা-অসমীয়াৰ সংঘৰ্ষৰ কাৰণে কেৱল যে এই সম্প্ৰদায় দুটাহে দায়ী এনে নহয়; তাৰ কাৰণে ভাৰত চৰকাৰ আৰু অসম চৰকাৰো সমানেই বা বেচিকৈহে দায়ী। আমি আকৌ দোহাৰিব খোজোঁ নিৰাপত্তাবোধৰ অভাব বা ভয়েই হ'ল সকলোধৰণৰ উত্তেজনাৰ অন্যতম কাৰণ। অসমৰ অৰ্থনৈতিক উন্নতিৰ প্ৰতি ভাৰত চৰকাৰে স্পষ্টভাৱে অৱহেলা কৰিছে আৰু তাৰ দ্বাৰাই এই ৰাজ্যৰ জনসাধাৰণৰ মনত হতাশা আৰু অসন্তুষ্টিৰ ভাব বৃদ্ধি হ'বলৈ সুবিধা দিছে। জন-সংখ্যা যিভাৱে বাঢ়িছে আৰু শিক্ষিত লোক যি হাৰত ওলাইছে সেই অনুপাতে কৰ্ম-সংস্থান সৃষ্টি কৰিবলৈ কোনো ব্যৱস্থাই লোৱা হোৱা নাই। অসমীয়া ডেকাৰ এটা ডাঙৰ অসন্তুষ্টিৰ কাৰণ এই যে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিবোৰত ৫০০ টকাৰ তলৰ চাকৰিবোৰ থলুৱা লোকে পাব লাগে বুলি যি স্পষ্ট নিয়ম আছে অসমীয়া ডেকাৰ ক্ষেত্ৰত সেই নিয়ম উলঙ্ঘা কৰা হৈছে। এই ক্ষেত্ৰত অসম চৰকাৰৰ উদাসীনতাও বিস্ময়কৰ। ১৯৭০ চনৰ নৱেম্বৰ মাহত অসমৰ মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীক আমি এই বিষয়ে প্ৰশ্ন কৰিছিলোঁ, কিন্তু তেওঁ একো উত্তৰেই দিব নোৱাৰিলে। অৰ্থাৎ সংশ্লিষ্ট একো তথ্য-পাতিয়েই তেওঁৰ হাতত নাই। এতিয়াও যে সেইবোৰ তথ্য-পাতি সংগ্ৰহ কৰিবৰ

কিবা বিশেষ চেষ্টা হৈছে সেই কথা আমাৰ বিশ্বাস নহয়। বিধানসভাৰ সদস্যসকলেও এই সম্পৰ্কে প্ৰশ্ন কৰি তথ্য সংগ্ৰহ কৰাৰ কোনো চেষ্টা আমাৰ চকুত পৰা নাই। যি চৰকাৰে অতীৱ প্ৰয়োজনীয় এই তথ্যখিনিকেই নাজানে বা জানিবলৈ চেষ্টা নকৰে, সেই চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত অসমীয়া ডেকাৰ ন্যায্য প্ৰাপ্য আদায়ৰ কাৰণে কিবা চেষ্টা কৰিব বুলি বিশ্বাস হয়নে? দ্বিতীয়তে, আমি মুখ্যমন্ত্ৰীক এটা পৰামৰ্শ দিছিলোঁ যে আবকাৰী-মহল, বন-মহল আদিত থলুৱা লোকক অধিক সুবিধা দিব লাগে। উজনী অসমৰ কোনো কোনো ঠাইত একোজন অনা-অসমীয়া মানুহেই দহ-পোন্ধৰখনকৈ মদৰ মহল পাইছে। সেইবোৰ মদৰ মহল থলুৱা মানুহে পোৱা হ'লে শতাধিক মানুহৰ অন্ন-সংস্থানৰ সুবিধা হ'লহেঁতেন আৰু থলুৱা পুঁজি গঠনত সহায় হ'লহেঁতেন। কিন্তু আমি বাৰংবাৰ পৰামৰ্শ দিয়া সত্ত্বেও এইবোৰ কথাৰ প্ৰতি চৰকাৰে কৰ্ণপাত কৰা নাই। মুঠতে আনেতো একো নকৰে নকৰেই, অসম চৰকাৰেও থলুৱা লোকৰ কাৰণে যিখিনি কৰিব পাৰে বা কৰা উচিত সেইখিনিও তেওঁলোকে কৰা নাই। ফলত অসমীয়া ডেকাৰ হতাশা বৃদ্ধি হৈছে আৰু তাৰ সুবিধা লৈছে কেতবোৰ অপৰাধজীৱী সমাজদ্ৰোহী মানুহে।

এই বিষয়ে কোনো সন্দেহ নাই যে সমাজৰ পৰা সংঘাতজনিত সকলো অশান্তি আৰু উত্তেজনা দূৰ কৰাৰ একমাত্ৰ উপায় হ'ল বৰ্তমানৰ সমাজ-ব্যৱস্থাৰ পৰিৱৰ্তন। কিন্তু সেই কাম সাধুকথাৰ আলাদীনৰ চাকিৰ সহায়েৰে ৰাতিটোৰ ভিতৰতে কৰিব নোৱাৰি। নতুন সমাজ-ব্যৱস্থা গঢ় লৈ নুঠে মানেও আমি সাম্প্ৰদায়িক সংঘৰ্ষ দূৰ কৰি ৰাখিব লাগিব, আৰু ওপৰত দিয়া পৰামৰ্শখিনিয়েই তাৰ উপায় বুলি আমি ভাবোঁ।

(২)

লামডিঙৰ ঘটনা আৰু তাৰ পিচৰ ঘটনা-প্ৰবাহৰ কাৰণে সংশ্লিষ্ট তিনিটা পক্ষই সমানে নিন্দাৰ্হ। প্ৰথমে, বাংলাদেশৰ পৰা অহা ভগনীয়াসকলৰ সহায়ৰ কাৰণে নিয়োজিত যিকেইজন তথাকথিত ভলণ্টিয়াৰে আইন আৰু শিষ্টাচাৰৰ সকলো নিয়ম ভঙ্গ কৰি ৰেলৰ যাত্ৰীৰ ওপৰত জোৰ-জুলুম কৰিছিল, তেওঁলোক হয় অশিক্ষিত আৰু অপৰাধজীৱী গুণ্ডা, নহ'লেবা বিদেশী চৰকাৰৰ ভেৰুৱা এজেণ্ট। যিয়েই নহওক লাগিলে, যথাবিহিত তদন্তৰ মূৰত দোষী প্ৰমাণিত হ'লে তেওঁলোক যথোপযুক্ত শাস্তিৰযোগ্য।

দ্বিতীয়তে, এই গোটেই ঘটনাটোত অসম চৰকাৰেও আদিৰে পৰা অন্তলৈকে চৰম অদূৰদৰ্শিতা আৰু অকৰ্মণ্যতাৰ পৰিচয় দিছে। বাংলাদেশৰ স্বাধীনতা যুদ্ধ আৰম্ভ হ'বৰ দিন ধৰি অসমত এটা অৱদমিত উত্তেজনাৰ অন্তঃস্ৰোত বৈয়েই আছে। বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ প্ৰতি অসমীয়া সমাজৰ নৈতিক সমৰ্থন থাকিলেও সেই দেশৰ পৰা লাখ লাখ ভগনীয়া আহি অসমত সোমোৱাত তেওঁলোকৰ মনত নানা আশংকাই ঠাই পাইছে, কাৰণ তেওঁলোকৰ মনত সন্দেহ হৈছে যে কিবা অজুহাতত ইয়াৰ আধা বা সিকিভাগ মানুহো যদি অসমত থাকি যায়, তেন্তে ইতিমধ্যেই উৎকট ৰূপ ধাৰণ কৰা অসমৰ আৰ্থিক আৰু সাংস্কৃতিক সংকট আৰু জটিল হ'বলৈ বাধ্য। এই ভয় সাম্প্ৰতিক উত্তেজনাৰ এটা ডাঙৰ কাৰণ। দ্বিতীয়তে, বাংলাদেশৰ আন্দোলন ব্যৰ্থ কৰিবলৈ পাকিস্তানৰ যিসকল দালাল আৰু উগ্ৰ সমৰ্থক চাৰিওফালে অতি সক্ৰিয় হৈ পৰিছে, অসমতো সেইসকল লোক হাত সাবটি বহি থকা নাই। তদুপৰি এই কথাও একো গোপন নহয় যে ভাৰতৰ তথা অসমৰ এক শ্ৰেণীৰ লোকে পশ্চিম পাকিস্তানৰ শাসকবৰ্গৰ প্ৰতি প্ৰচ্ছন্ন সমৰ্থন আগবঢ়াইছে। এই দুয়োটা কথাইয়ো ভিতৰৰ উত্তেজনা বৃদ্ধি গোৱাত কিছু সহায় কৰিছে। ভগনীয়াসকলৰ লগতো দুবৃত্ত

পাকিস্তানৰ দালাল ইয়ালৈ অহাটো খুবেই সম্ভৱপৰ। আমি এই কথা ধৰি লৈছো যে অসম চৰকাৰৰ চোৰাংচোৱা বিভাগে এইবোৰ কথা যথাযথভাৱে চৰকাৰক জনাই আছে। আমি এই কথাত ধৰি লৈছো যে পৰিস্থিতিৰ গুৰুত্ব আৰু জটিলতা বুজি অসম চৰকাৰে চাৰিওফালে চোকা নজৰ ৰাখিছে আৰু জুইশলাৰ কাঠি এটা পৰিয়েই বাৰুদস্তূপ যাতে জ্বলি নুঠে তাৰ প্ৰতি সতৰ্ক হৈ আছে। কিন্তু লামডিঙৰ ঘটনাই প্ৰমাণ কৰিলে যে আমাৰ এই ধৰি লোৱা কথাবোৰ সম্পূৰ্ণ ভুল। চৰকাৰৰ চোৰাংচোৱা বাহিনী এতিয়াও অকণো নিৰ্ভৰযোগ্য আৰু বিশ্বাসযোগ্য নহয়। তদুপৰি একোটা বিশেষ পৰিস্থিতিত একোটা বিশেষ ঘটনাই গুৰুত্ব, তাৎপৰ্য্য আৰু সম্ভাৱনা বুজি উঠিবলৈ যিখিনি সুক্ষ্ম-বুদ্ধি আৰু কল্পনা-শক্তি লাগে— অসম চৰকাৰৰ বেচি ভাগ বিষয়াৰেই সেইখিনি শক্তি নাই। থকা হ'লে লামডিঙৰ ঘটনাটোৰ ৰিপ'ৰ্ট মুখ্যমন্ত্ৰীৰ কাণত পেলাবলৈ যিখিনি সময় লাগিল সিমানখিনি সময় নালাগিলেহেঁতেন; বাতৰি কাকতত ওলোৱা ঘটনাৰ বিৱৰণ অতিৰঞ্জিত বুলি কৈয়েই ক্ষান্ত নাথাকি চৰকাৰে অন্ততঃ ৰেডিঅ'ৰ যোগে প্ৰকৃত কথাখিনি প্ৰচাৰ কৰিব পাৰিলেহেঁতেন; অশান্তিৰ সূচনা হোৱাৰ লগে লগেই চৰকাৰৰ প্ৰচাৰ-যন্ত্ৰটোক সুস্থ জনমত গঠনৰ কাৰণে কিছু কামত লগাব পাৰিলেহেঁতেন। অসম চৰকাৰে এইবোৰ একো কৰিব নোৱাৰিলে।

তৃতীয়তে, 'ইয়াতে মাৰিলে টিপা, গড়গাঁও পালেগৈ শিপা।' হোৱাৰ দৰে লামডিঙৰ ঘটনাটোৰ খবৰ ওলোৱা মাত্ৰেই কিছুমান ডেকাই তদন্তৰ কাৰণে বিন্দুমাত্ৰ অপেক্ষা নকৰি বা শান্তিপূৰ্ণ প্ৰতিবাদৰ পথ অৱলম্বন নকৰি যিভাবে 'বাঙালী পিটাত' লাগি গ'ল, কোনো সভ্য আৰু শিক্ষিত মানুহেই তাক সমৰ্থন কৰিব নোৱাৰে। অসমীয়াৰ জাতীয় স্বাৰ্থৰ কাৰণে যিসকল ডেকাই নিজৰ প্ৰাণ দিবলৈ প্ৰস্তুত তেওঁলোকে জনা উচিত যে আমি সকলোৰে শ্ৰদ্ধা আৰু সম্মানৰ যোগ্য এখন সভ্য অসমীয়া সমাজহে গঢ়ি তুলিব খোজোঁ। আৱেগ অতিশয় ভাল বস্তু, কিন্তু তাৰ লগত সৎ উদ্দেশ্য আৰু চিন্তা-শক্তিৰ যোগ হোৱাটো দৰকাৰ। যুক্তি-বুদ্ধিহীন আৱেগে কেৱল ধ্বংসহে কৰে, একো সৃষ্টি কৰিব নোৱাৰে। কেৱল আবেগৰ উন্মত্ত প্ৰকাশৰ মাজতহে দেশ-প্ৰেম ফুটি ওলায়, যুক্তিবাদিতা আৰু চিন্তাশক্তিৰ মাজত সি ফুটি নোলায়— এনে এটা ধাৰণা অতিশয় মাৰাত্মক আৰু অপমানজনক। এনে ধৰণৰ জোৰ-যবৰদস্তিৰ ওচৰত সেও মানি চলাটো চৰম নৈতিক কাপুৰুষালিৰ কাম বুলি আমি বিবেচনা কৰোঁ।

ব্ৰহ্মপুত্ৰ আয়োগত থলুৱা লোকৰ প্ৰতি অবিচাৰ

ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ আয়োগৰ কিছুমান কাৰ্য্যকলাপৰ ফলত উপযুক্ত থলুৱা ইঞ্জিনীয়াৰ নায্য সুযোগ-সুবিধাৰ পৰা বঞ্চিত হৈছে আৰু বহিৰাগত লোকক অন্যায়ভাৱে নানা সা-সুবিধা দি অহা হৈছে বুলি বিশ্বস্তভাৱে জানিব পৰা গৈছে।

প্ৰায় এবছৰ মান আগতে ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ বোৰ্ডৰ সভাপতি আৰু কেন্দ্ৰীয় জলসিঞ্চন মন্ত্ৰী ড° কে. এল. ৰাৱে গৰাখহনীয়া আৰু তেনে দুই এটা বিষয়ৰ প্ৰশিক্ষণ আৰু অধ্যাপনাৰ বাবে চোভিয়েট ইউনিয়ন আৰু অন্যান্য দেশলৈ অসমৰ ইঞ্জিনীয়াৰসকলক পঠাব লাগে বুলি যথাস্থানলৈ এটি প্ৰস্তাৱ পঠায়। কেন্দ্ৰীয় মন্ত্ৰীজনায় হয়তো বিচাৰিছিল যে থলুৱা ইঞ্জিনীয়াৰে এনে ধৰণৰ প্ৰশিক্ষণ আৰু অধ্যয়ন সম্পূৰ্ণ কৰিলে অসমত বান-নিয়ন্ত্ৰণ আৰু গৰাখহনীয়া নিয়ন্ত্ৰণৰ কামত সহায় হ'ব।

কিন্তু কেইদিনমান আগতে নতুন দিল্লীৰ পৰা এটা জৰুৰী বাৰ্তা আহিল যে ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ আয়োগৰ অনুসন্ধান বিষয়ক সদস্য শ্ৰী এচ. এন. গুপ্তক ছোভিয়েট ইউনিয়নলৈ গড়াখহনীয়া বিষয়ক অধ্যয়নৰ বাবে মনোনীত কৰা হৈছে।

অন্যায় মনোনয়ন

শ্ৰীগুপ্ত উক্ত আয়োগৰ বহিৰাগত সদস্য। তেওঁৰ কাৰ্য্যকাল অহা জুলাই মাহত অন্ত পৰিব। কেন্দ্ৰীয় চৰকাৰ আৰু উত্তৰ প্ৰদেশ চৰকাৰৰ পৰা এবছৰৰ বাবে ডেপুটেশ্যনত অহা এই বিষয়াজনক কোনোপধ্যেই অসমৰ স্থায়ী ইঞ্জিনীয়াৰ বুলি ধৰিব নোৱাৰি। এনেস্থলত কিয় আৰু কেনেকৈ শ্ৰীগুপ্ত এই অধ্যয়নৰ বাবে মনোনীত হ'ব পাৰে, সেইটো ৰহস্যজনক। অনুমান কৰা হৈছে যে শ্ৰীগুপ্ত অসমলৈ অহাৰ আগতে নতুন দিল্লীত থাকোতে কেন্দ্ৰীয় বিভাগীয় বিষয়াসকলৰ সৈতে চিনা-পৰিচয় থকা সুযোগ লৈ কেনেবাকৈ' তেওঁ মনোনীত হৈছিল।

কিন্তু এইক্ষেত্ৰত কেবল গুপ্তৰ হাত আছে বুলি ধৰিলে সঠিক নহ'ব। কিয়নো ব্ৰহ্মপুত্ৰ আয়োগৰ বহিৰাগত চেয়াৰমেন শ্ৰীকুম্ৰাই অভূতপূৰ্ব তৎপৰতাৰে এই মনোনয়নত সমৰ্থন জনাইছে আৰু যিহেতু কুম্ৰাই অসম চৰকাৰৰ বান-নিয়ন্ত্ৰণ নামৰ নতুন বিভাগটোৰ সচিব, সেয়ে তেওঁ এই পদমৰ্য্যদাৰ সুবিধা লৈ তত্‌কালিকে চৰকাৰী পৰ্য্যায়ত মনোনয়নটো গ্ৰহণ কৰি পেলাইছে। অকল সেয়েই নহয়, গোটেই বিষয়টোত পৰম গোপনীয়তা অৱলম্বন কৰি, অৰ্থাৎ সচৰাচৰ যেনে পদ্ধতিৰে এনে প্ৰস্তাৱ আদি কাৰ্য্যকৰী কৰা হয়, তেনে পদ্ধতিৰে নগৈ ব্যক্তিগত দায়িত্বৰে শ্ৰীকুম্ৰাই তেওঁৰ সোঁহাত স্বৰূপ শ্ৰীগুপ্তৰ মনোনয়ন প্ৰস্তাৱটো চিলঙত বিভাগীয় মন্ত্ৰীৰ অনুমোদনৰ বাবে নিজ হাতে চিলঙলৈ লৈ গৈছে বুলিও জানিব পৰা গৈছে।

এইখিনিতেই মনত ৰাখিব লাগিব যে এনে প্ৰস্তাৱ পঠাব লগা হ'লে অসম চৰকাৰে পঠাব লাগে। অসমৰ কোন ইঞ্জিনীয়াৰে এনে সুবিধা পাব লাগে সেইটোৰ বিচাৰক অসম চৰকাৰহে। এইক্ষেত্ৰত অনুমান

কৰা হৈছে যে মনোনয়ন নতুন দিল্লীত হৈছে আৰু অসম চৰকাৰৰ অজানিতে বহিৰাগত অস্থায়ী বিষয়া এজনে এই বিৰাট সুযোগটো গ্ৰহণ কৰিবলৈ বিচাৰিছে। এতিয়া অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰীয়ে যদি এই প্ৰস্তাবটো অনুমোদন কৰে আৰু বিত্ত বিভাগেও যদি প্ৰস্তাৱত সম্মতি জনায়, তেন্তে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগৰ দুজন বহিৰাগত মুৰব্বীৰ চল-চক্ৰান্তৰ ওচৰত চৰকাৰে সহায়হীনৰ দৰে আত্মসমৰ্পণ কৰা হ'ব আৰু লগতে থলুৱা অভিজ্ঞ ইঞ্জিনীয়াৰৰ বাবে মুকলি ৰখা সুযোগ এটা নষ্ট কৰি পেলোৱা হ'ব।

যোগ্যতা নাই

আমি জানিবলৈ পোৱা মতে শ্ৰীগুপ্তৰ এনে কোনো বিশেষ যোগ্যতা বা অৰ্হতা নাই যাৰ বাবে তেওঁক এই প্ৰশিক্ষণ আৰু অধ্যয়নৰ বাবে মনোনীত কৰিব লাগে। ব্ৰহ্মপুত্ৰ আয়োগলৈ সদস্য হৈ অহাৰ আগতে শ্ৰীগুপ্ত কেন্দ্ৰীয় জলসিঞ্চন বোৰ্ডৰ সচিব আছিল। সচিবৰ পদটো অধিকতৰ ক্ষমতাসম্পন্ন কেৰাণীৰ কামৰ বাহিৰে আন একো নহয়। তদুপৰি এই বোৰ্ডখন জলসিঞ্চন বিষয়কহে; গড়াখহনীয়া বা বান-নিয়ন্ত্ৰণ বিষয়টো ইয়াৰ লগত জড়িত নাছিল। দৰাচলতে গড়াখহনীয়া আৰু বান-নিয়ন্ত্ৰণ বিষয়ক চকু দিবলৈ কেন্দ্ৰৰ বান-নিয়ন্ত্ৰণ বোৰ্ড নামৰ অন্য এখন বোৰ্ডহে আছিল। এতেকে ইৰিগেছন বা জলসিঞ্চন বোৰ্ডত কাম কৰি অহা শ্ৰীগুপ্তৰ বান-নিয়ন্ত্ৰণ তথা গড়াখহনীয়া বিষয়ক কৰিবলগীয়া বিশেষ একো নাছিল বুলিলেও হয়। কেন্দ্ৰত জলসিঞ্চন বোৰ্ডলৈ যোৱাৰ আগতে শ্ৰীগুপ্ত উত্তৰ প্ৰদেশ চৰকাৰৰ চুপাৰিণ্টেনডেন্ট ইঞ্জিনীয়াৰ আছিলে। শ্ৰীগুপ্তৰ সমান আৰু ততোধিক অভিজ্ঞতা থকা ইঞ্জিনীয়াৰ অসমত কমেও প্ৰায় এক ডজন ওলাব। সেয়ে শ্ৰীগুপ্তৰ এই মনোনয়নৰ অন্তৰালত যুক্তিতকৈ বৈষম্যৰহে প্ৰাধান্য দেখা গৈছে বুলি ক'ব পাৰি।

শ্ৰীগুপ্ততকৈ বোৰ্ডৰ তৃতীয় সদস্য শ্ৰীৰচিদেই অধিকতৰ যোগ্যতাসম্পন্ন বুলি ক'ব পাৰি; কিয়নো ৰচিদ ইয়াৰ আগতে অসম চৰকাৰৰ বান-নিয়ন্ত্ৰণ বিভাগৰ মুখ্য অভিযন্তা আছিল আৰু অৰ্হতাৰ পিনৰ পৰাও শ্ৰীৰচিদ বানপানী বিষয়ক অধ্যয়নত স্নাতকোত্তৰ ডিগ্ৰী পাওঁতা। বহিৰাগতৰ হাতৰ পৰা ব্ৰহ্মপুত্ৰ আয়োগৰ বৰমূৰীয়া সকলৰ চল-চক্ৰান্তৰ ফলত যদি ন্যায্য সুবিধাৰ পৰা যোগ্য অসমীয়া ইঞ্জিনীয়াৰ বঞ্চিত হ'বলগীয়া হয় আৰু চৰকাৰো যদি এনে সুবিধাবাদী আৰু সুযোগ সন্ধানী লোকৰ হাতত নিজকে এৰি দিয়ে তেন্তে ইয়াৰ প্ৰতিক্ৰিয়া সুদূৰ প্ৰসাৰী হোৱাৰ পৰা কোনোবে ৰক্ষা কৰিব নোৱাৰিব বুলি ৰাইজে ভাবে।

ৰাইজৰ দাবী ঃ শ্ৰীগুপ্তৰ মনোনয়ন তুৰন্তে নাকচ কৰা হওক আৰু সেই ঠাইত অসমৰ উপযুক্ত ইঞ্জিনীয়াৰক বাচি উলিওৱা হওক। ৰাইজে এই বিষয়ত বিভাগীয় মন্ত্ৰী তথা মুখ্যমন্ত্ৰীৰ ক্ষীপ্ৰ হস্তক্ষেপ বিচাৰে।

সাপ্তাহিক নীলাচল, ১৩৩ সংখ্যা : ২৬ মে', ১৯৭১

অসমৰ বিৰুদ্ধে ষড়যন্ত্ৰ

ইস্পাট মন্ত্ৰী শ্ৰীমোহন কুমাৰমঙ্গলমে অলপতে এইদৰে কোৱা বুলি প্ৰকাশ যে তেওঁ নামতহে মন্ত্ৰী, কামত তেওঁৰ বিশেষ ক্ষমতা একো নাই, কাৰণ বৰ্তমানৰ প্ৰচলিত শাসন ব্যৱস্থাত সামান্য এটা ফাইলকো তেওঁ এখন টেবুলৰ পৰা আন এখন টেবুললৈ সহজে লৰচৰ কৰিব নোৱাৰে। ইয়াৰ পৰা এইটোৱেই বুজা যায় যে মন্ত্ৰীসকলে নীতি নিৰ্ধাৰণ কৰে যদিও সেইবোৰ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ বিশেষ হাত নাই; নীতিবোৰ কেনেকৈ কাৰ্য্যকৰী কৰা হ'ব বা কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী কৰা হ'ব— এই সকলো কথা নিৰ্ভৰ কৰে বিষয়াসকলৰ মৰ্জি আৰু খেয়াল-খুচিৰ ওপৰত।

অসমৰ জনমতৰ হেঁচাত পৰি কেন্দ্ৰীয় চৰকাৰে যোৱা দুবছৰৰ ভিতৰত অসমৰ বাইজক কেইবাটাও প্ৰতিশ্ৰুতি দিছে। তাৰ ভিতৰত ১৯৭০ চনৰ ৫ চেপ্তেম্বৰত প্ৰধানমন্ত্ৰীয়ে কৰা পেকেজ প্ৰগ্ৰেমৰ ঘোষণাই বিশেষভাৱে উল্লেখযোগ্য। কিন্তু এই প্ৰতিশ্ৰুতিবোৰ কাৰ্য্যকৰী কৰা কাম ইমান লেহেম গতিৰে আগবাঢ়িছে যে কেন্দ্ৰীয় চৰকাৰৰ আন্তৰিকতা সম্পৰ্কেই এতিয়া স্বাভাৱিকতে আমাৰ মনত নানা সন্দেহ উপজিছে। আঞ্চলিক বৈষম্যই যে এদিন সমগ্ৰ দেশৰ কাৰণে ডাঙৰ বিপদ চপাই আনিব পাৰে সেই কথা ৰাজনৈতিক নেতাসকলে নিশ্চয় নুবুজা নহয়। সকলো কথা বুজিও তেওঁলোকে যে অসমৰ কাৰণে বিশেষ একো কৰিব পৰা নাই— তাৰ নিশ্চয় বহুত কাৰণ আছে। সেইবোৰৰ ভিতৰত এটা প্ৰধান কাৰণ হ'ল এই যে কেন্দ্ৰীয় মন্ত্ৰীমণ্ডলীত অসমৰ কাৰণে চিন্তা কৰোঁতা বা মাত মাতোঁতা কোনোবা মানুহ থাকিলেও কেন্দ্ৰীয় কাৰ্য্যালয়বোৰত অসমৰ কোনো বন্ধু নাই। কেন্দ্ৰীয় সচিবালয়ত ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত অসমৰ প্ৰতিনিধিত্বই আটাইতকৈ নগণ্য। শ্ৰীমোহন কুমাৰমংগলমৰ নিচিনা মানুহে নিজেই স্বীকাৰ কৰিছে মন্ত্ৰী হ'লেও সামান্য এটা ফাইলকে এখন টেবুলৰ পৰা আন এখন টেবুললৈ লৰচৰ কৰাৰ ক্ষমতা তেওঁৰ নাই। সেই ক্ষমতা আছে কেৱল বিষয়াৰ। গতিকে যিসকল বিষয়াৰ প্ৰাণত অসমৰ প্ৰতি কোনো সহানুভূতি নাই বা যিসকল বিষয়াই অসমক যিমান দিন পাৰে অনুন্নত কৰি ৰাখিবলৈহে ইচ্ছা কৰে, সেইসকল বিষয়াই স্বাভাৱিকতেই অসম সম্পৰ্কীয় ফাইলবোৰ ইখন টেবুলৰ পৰা সিখন টেবুললৈ পঠাওঁতে যিমান পাৰে দেৰি কৰিবলৈহে চেষ্টা কৰিব। কেন্দ্ৰীয় চৰকাৰে অসমৰ প্ৰতি দিয়া প্ৰতিশ্ৰুতিবোৰ কেতিয়াও যে সময়মতে কাৰ্য্যকৰী হৈ নুঠে— তাৰ প্ৰধান কাৰণ হ'ল এইটোৱেই।

এইখিনিতেই প্ৰশ্ন উঠিব পাৰে— কেন্দ্ৰীয় চৰকাৰৰ বিষয়াসকলে অসমৰ প্ৰতি শত্ৰুতা কৰাৰ কাৰণ কি? কেইটামান উদাহৰণ দিলেই এই প্ৰশ্নৰ উত্তৰ আপোনা আপুনি পৰিষ্কাৰ হৈ উঠিব। ব্ৰড্‌গজ ৰেলপথ অন্ততঃ গুৱাহাটীলৈকে সম্প্ৰসাৰিত কৰিব লাগে বুলি অসমৰ ৰাইজে বহুদিনৰ পৰাই দাবী কৰি আহিছে। এই ব্ৰড্‌গজ্ লাইনৰ সম্প্ৰসাৰণৰ ওপৰতে অসমৰ ঔদ্যোগিক বিকাশ, ব্যৱসায়-বাণিজ্যৰ সাফল্য আৰু নিত্য-ব্যৱহাৰ্য্য বস্ত্ৰ-বস্তুৰ দাম-দৰ আদি বহু পৰিমাণে নিৰ্ভৰ কৰে। অসমৰ চৰকাৰ আৰু জনসাধাৰণে বহুদিন ধৰি একমুখে আবেদন-নিবেদন কৰা সত্ত্বেও কেন্দ্ৰীয় চৰকাৰে অসমৰ এই ন্যায়সঙ্গত দাবীৰ প্ৰতি কৰ্ণপাত কৰা নাই, বৰং নানা অজুহাত উলিয়াই ব্ৰডগজ্ সম্প্ৰসাৰণ নকৰিবলৈহে চেষ্টা কৰি আছে। ইয়াৰ কাৰণ কি? বহুত

অনুসন্ধান কৰি আমি এইটো কাৰণকে বিচাৰি পাইছোঁ যে অসমত ৰেল-পৰিবহণৰ উন্নত আৰু পৰ্য্যাপ্ত সুবিধা নথকাৰ কাৰণে পথ-পৰিবহণৰ এটা বিৰাট ব্যৱসায় গঢ়ি উঠিছে, অৰ্থাৎ ভাৰতৰ অন্যান্য অঞ্চলৰ পৰা অসমলৈ মাল-বস্তু কঢ়িয়াবৰ কাৰণে বৃহৎ সংখ্যক লড়ী-ট্ৰাক আদি ব্যৱহাৰ কৰিব লগা হৈছে। এই ব্যৱসায়ত লিপ্ত থকা শতকৰা এশজন ব্যৱসায়ীয়েই অসমৰ বাহিৰৰ। গুৱাহাটীলৈকে যদি ব্ৰড্‌গজ্ ৰেলপথ সম্প্ৰসাৰণ হয়, তেতিয়া পথ-পৰিবহণৰ ব্যৱসায়ত কোটি কোটি টকা অৰ্জন কৰা এই ব্যৱসায়ীসকলৰ স্বাৰ্থত আঘাত পৰে। গতিকে এই ব্যৱসায়ীসকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণেই কেতবোৰ কেন্দ্ৰীয় বিষয়াই (লগতে নিশ্চয় মন্ত্ৰীৰো যোগ আছে) অসমৰ ৰেল-পৰিবহণৰ ব্যৱস্থা উন্নত কৰাত বাধাৰ সৃষ্টি কৰি আহিছে, কাৰণ এই বিষয়াসকল ব্যৱসায়ীসকলৰ বন্ধু আৰু একেৰাজ্যৰ মানুহ।

অসমৰ ৰেল-পৰিবহণ ব্যৱস্থা উন্নত নোহোৱাত দুটা সহজে চকুত পৰা ডাঙৰ লোকচান হৈছে। প্ৰথমতে, ভাৰতৰ আন সকলো ৰাজ্যতকৈ অসমে প্ৰত্যেক বিধ বস্তুৰ কাৰণে বেচি মূল্য দিব লগা হৈছে। দ্বিতীয়তে, বাহিৰৰ পৰা মাল-বস্তু আনিবৰ কাৰণে যিবোৰ দৈত্যাকাৰ আৰু বৃহৎ ওজনৰ লড়ী-ট্ৰাক ব্যৱহাৰ কৰা হয়, সেই গাড়ীবোৰে অসমৰ ৰাস্তা-ঘাট অতি সোনকালেই ভাঙি-ছিঙি নষ্ট কৰি দিয়ে, আৰু সেইবোৰ মেৰামতি কৰিবৰ কাৰণে অসম চৰকাৰে বছৰি লাখ লাখ টকা খৰচ কৰিব লাগে। মুঠতে পদে পদে জৰিমনা ভৰাটোৱেই অসমৰ ৰাইজৰ একমাত্ৰ বিধিলিপি; অৱশ্যে অপৰাধ কি সেইটোহে এতিয়াও জনা হোৱা নাই।

আৰু এটা উদাহৰণ লোৱা হওক। যোগীঘোপাত স্থাপন কৰিব খোজা অশোক পেপাৰ মিলচে ১৯৭২ চনত উৎপাদন আৰম্ভ কৰাৰ কথা আছিল। এতিয়া অৱস্থা যি দেখা গৈছে, ১৯৭২ চন দূৰৰ কথা, ১৯৭৫ চনতো সি উৎপাদন আৰম্ভ কৰিব পৰাৰ আশা নাই। আমি ধৰি লৈছোঁ যে ইয়াৰ কাৰণে ৰাজ্য চৰকাৰৰ কৰ্ম-দক্ষতাৰ অভাৱো কিছু পৰিমাণে দায়ী। কিন্তু তদন্ত কৰি দেখা গৈছে যে ইয়াৰ কাৰণে প্ৰধানকৈ দায়ী হ'ল কেন্দ্ৰীয় চৰকাৰ, বা কেন্দ্ৰীয় চৰকাৰৰ কিছুমান বিষয়া। ভাৰতৰ বহুতো ডাঙৰ ডাঙৰ কাকতৰ কলৰ মালিকে অসমৰ বাঁহ-বেত আদি কেঁচামালবোৰ ইমান দিনে বাহিৰলৈ নি আছিল। অসমত কাকতৰ কল স্থাপিত হ'লে তেওঁলোকৰ কেঁচামালৰ যোগান বন্ধ হৈ যায়। সেই কাৰণে ইয়াত কাকতৰ কলৰ উৎপাদনৰ কাম যিমানেই পলম কৰাব পাৰি সিমানেই তেওঁলোকৰ লাভ। কেন্দ্ৰীয় কাৰ্য্যালয়সমূহত এই বৃহৎ শিল্পপতি আৰু ব্যৱসায়ীসকলৰ বন্ধুৰ অভাৱ নাই। কামটো পলম কৰি পেলাই থোৱাৰ পন্থাও নিচেই সহজ। ধৰি লওক, প্ৰস্তাৱিত কাকতৰ কাৰণে বৈদেশিক যন্ত্ৰ-পাতি কিনিবলৈ অসম চৰকাৰে ৰিজাৰ্ভ বেঙ্কৰ পৰা টকা বিচাৰিছে। ৰিজাৰ্ভ বেঙ্কে যদি অসমত কাকতৰ কলৰ উৎপাদনৰ কাম সোনকালে আৰম্ভ নোহোৱাটোকে বিচাৰে, তেন্তে সঁচাই-মিছাই নানা অৰ্থহীন স্পষ্টীকৰণ বিচাৰি চিঠিৰ আদান-প্ৰদান কৰিয়েই এবছৰ-দুবছৰ সময় পাৰ কৰি দিব পাৰে। অসমত একো কামেই সোনকালে হৈ নুঠাৰ এইবোৰেই হ'ল ঘাই কাৰণ।

কিন্তু আচল ঘাই কাৰণটো হ'ল এই— ভাৰতৰ শিল্পোন্নত অঞ্চলৰ ব্যক্তিগত শিল্পপতি আৰু ব্যৱসায়ীসকলে কেইখনমান ৰাজ্যক উদ্যোগীকৰণৰ কোনো সুবিধা দিব নোখোজে, কাৰণ তেতিয়াহে এই ৰাজ্যকেইখনক তেওঁলোকে নিজৰ শিল্পজাত পণ্য-সামগ্ৰীৰ বজাৰ হিচাবে ব্যৱহাৰ কৰি থাকিব পাৰে আৰু এই ৰাজ্যবোৰৰ পৰা কেঁচামাল অবাধে নি থাকিব পাৰে। অৰ্থাৎ এই ৰাজ্যবোৰক তেওঁলোকে চিৰকাল কেঁচামাল যোগনীয়াৰ অৰ্থনৈতিক উপনিৱেশ কৰি ৰাখিব খোজে। তেওঁলোকৰ এই কাৰ্য্যত সহায় কৰে দিল্লীৰ কেন্দ্ৰীয় কাৰ্য্যালয়ত থকা তেওঁলোকৰ বন্ধুসকলে। এই দুৰ্ভগীয়া ৰাজ্যকেইখনৰ ভিতৰত অসমৰ অৱস্থাই আটাইতকৈ বেচিকৈ পুতৌ লগা। যি উৰিষ্যাই নিজকে আটাইতকৈ বেচি শোষিত আৰু অৱহেলিত

বুলি হিয়া ভুকুৱাই থাকে, সেই উৰিষ্যাতো তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত বিভিন্ন ৰাজ্যত উদ্যোগ স্থাপনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বিনিয়োগ কৰা সৰ্বমুঠ মূলধনৰ শতকৰা ১৭ ভাগ বিনিয়োগ কৰা হৈছিল; অসমত কৰা হৈছিল মাত্ৰ ১.৫ ভাগ। প্ৰথম দুটা পঞ্চ-বাৰ্ষিক পৰিকল্পনাততো অসমৰ উদ্যোগীকৰণৰ কাৰণে ফুটা কড়ি এটাও খৰচ কৰা হোৱা নাছিল। মুঠতে এটা কথাত কোনো সন্দেহ নাই যে অসমক যিমান দিন পৰা যায় উদ্যোগীকৰণৰ পৰা বঞ্চিত কৰি এই ৰাজ্যক বৃহৎ ব্যৱসায়ী আৰু শিল্পপতিসকলৰ মুকলি বজাৰ আৰু কেঁচামালৰ গুদাম কৰি ৰখাই আছিল কেন্দ্ৰীয় চৰকাৰৰ উদ্দেশ্য।

অসমৰ আৰ্থিক অৱস্থাৰ উন্নতি সাধিবলৈ হ'লে কেন্দ্ৰীয় চৰকাৰে নীতিগত আৰু পদ্ধতিগত বহুতো নতুন ব্যৱস্থাই হাতত ল'ব লাগিব, কিন্তু কেন্দ্ৰীয় কাৰ্য্যালয়সমূহত অসমৰ স্বাৰ্থৰ কাৰণে আন্তৰিকভাৱে কাম কৰা কিছুমান মানুহ নাথাকিলে এইবোৰ ব্যৱস্থা সহজে আৰু সোনকালে কাৰ্য্যকৰী হোৱাৰ কোনো আশা নাই। কোৱা বাহুল্য মাথোন যে অসমৰ স্বাৰ্থৰ কাৰণে আন্তৰিকভাৱে কাম কৰিব কেৱল সেইসকল লোকেহে— যিসকল লোকৰ স্থায়ী বাস-ভূমি হ'ল অসম। অসমৰ বিষয়া বুলি অসম কেডাৰৰ কেইজনমান পাঞ্জাবী, মাৰাঠী বা মাদ্ৰাজী আই-এ-এচ বিষয়াক দিল্লীৰ কেন্দ্ৰীয় সচিবালয়ত ৰাখি থলেই অসমৰ একো কাম নহ'ব। সম্প্ৰতি কেন্দ্ৰীয় মন্ত্ৰীসভাত অসমৰ তিনজনকৈ প্ৰতিনিধি আছে। তেওঁলোকে ইচ্ছা কৰিলেই অন্ততঃ নিজৰ নিজৰ দপ্তৰত যথেষ্ট সংখ্যক অসমৰ বিষয়া সুমুৱাই ল'ব পাৰে। তেনেকুৱা ডাঙৰ সুযোগ ভৱিষ্যতে আৰু সহজে নাহিবও পাৰে, গতিকে এই সুযোগতে অসমৰ কিছু বিষয়াক দিল্লীৰ কাৰ্য্যালয়ত স্থান দিবলৈ অসম চৰকাৰে আৰু লগতে ৰাইজেও এই মন্ত্ৰী তিনিজনক জোৰ কৰা উচিত। স্বৰ্গীয় শ্যামাপ্ৰসাদ মুখাৰ্জী যেতিয়া কেন্দ্ৰীয় মন্ত্ৰী হৈ আছিল, তেতিয়া তেওঁ বোলে বহুতো বাঙালী বিষয়াক দিল্লীলৈ বদলি কৰি লৈ গৈছিল। কোনোবা চকু চৰহাই কথাটো পণ্ডিত নেহৰুৰ কাণত পেলালে। এদিন সুবিধা পাই পণ্ডিত নেহৰুৱে ধেমালিৰ চলতে শ্যামাপ্ৰসাদ মুখাৰ্জীক সুধিলে— 'হয়নে, আপুনি বোলে দেশী ভাই আনি চেণ্ট্ৰেল চেক্ৰেটেৰিয়েট ভৰাই পেলালে?'

শ্যামাপ্ৰসাদে নেহৰুৰ মতলব বুজি পাই উত্তৰ দিলে— 'হয়, মই কেইজনমান বাঙালী বিষয়া ইয়ালৈ অনাটো সঁচা; কিন্তু আপুনি যিমানবোৰ কাশ্মিৰী ব্ৰাহ্মণ আমদানি কৰিছে তাৰ দহ ভাগৰ এভাগ মাত্ৰ বাঙালীও মই অনা বুলি যদি প্ৰমাণিত হয়, তেন্তে সেই মুহূৰ্ততে মই মন্ত্ৰীপদ ইস্তফা দিম।

কেন্দ্ৰীয় বাজেট

যোৱা শুক্ৰবাৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীচবনে উত্থাপন কৰা বাজেটত ২২০ কোটি টকা ঘাটি পৰিছে আৰু ১৭৭ কোটি টকাৰ নতুন কৰ-কাটল ধাৰ্য্য কৰাৰ পিচতহে ঘাটি ২২০ কোটি টকাতে ৰৈছেহি। দেশৰ পৰা দৰিদ্ৰতা দূৰ কৰিব বুলি চমকপ্ৰদ ধ্বনি তুলি আৰু এশ-এবুৰি প্ৰতিশ্ৰুতি ৰাইজৰ আগত দাঙি ধৰি যোৱা মধ্যকালীন নিৰ্বাচনত কেন্দ্ৰৰ শাসক দলে বিপুল জনসমৰ্থন লাভ কৰিছিল। এতিয়া প্ৰতিশ্ৰুতি পালনৰ প্ৰথম নমুনা হিচাবে নতুন সংসদত উত্থাপন কৰা প্ৰথমখন পূৰ্ণাঙ্গ বাজেটতে কেন্দ্ৰীয় চৰকাৰে ৰাইজৰ ওপৰত নতুন কৰৰ ইমান গধূৰ বোজা জাপি দি সকলোকে হতাশ কৰিছে। আশা কৰা হৈছিল যে নতুন চৰকাৰৰ নতুন নীতিৰ ফলত ব্যক্তিগত লাভতকৈ সামাজিক লাভে আগ ঠাই পাব; এমুঠিমান সৌভাগ্যৱান লোকে অতদিনে অবাধে ভোগ কৰি অহা আয়, সম্পদ আৰু অৰ্থনৈতিক আধিপত্য দ্ৰুতিগতিৰে আৰু কঠোৰ নীতিৰে দূৰ কৰা হ'ব; জীৱন ধাৰণৰ সাধাৰণ মান উন্নীত হ'ব আৰু সমাজৰ বৃহৎ অংশ অৰ্থাৎ দৰিদ্ৰ আৰু শোষিত ৰাইজে উন্নয়নৰ সম্পূৰ্ণ সুফল লাভ কৰিব। একে দিনাই কিবা যাদুস্পৰ্শেৰে এই সকলোখিনি কাম কৰি পেলোৱা হ'ব বুলি অৱশ্যে কোনেও আশা কৰা নাছিল; কিন্তু আশা কৰা হৈছিল যে নতুন বাজেটৰ সুযোগ গ্ৰহণ কৰি চৰকাৰে ঘোষিত আৰু গৃহীত লক্ষ্য সাধনৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব। একে আষাৰে ক'বলৈ হ'লে, ৰাইজৰ এই আশা শ্ৰীচবনৰ বাজেটে ভঙ্গ কৰিলে।

কেন্দ্ৰীয় বাজেটৰ গাঁথনি যে পুৰণি আৰ্হিৰেই প্ৰস্তুত কৰা হৈছে, সেইটো প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ মাজত বিৰাট ব্যৱধান বজাই ৰখা আৰু পৰোক্ষ কৰৰ প্ৰাধান্য চলি থাকিবলৈ দিয়া কাৰ্য্যই প্ৰমাণ কৰিছে। ১৭৭ কোটি টকাৰ প্ৰস্তাৱিত নতুন কৰ-কাটলৰ ভিতৰত মাত্ৰ ২৭ কোটি টকাৰ বাহিৰে বাকী সমুদায় পৰোক্ষ কৰ হিচাবে ধাৰ্য কৰা হৈছে। তদুপৰি এনে কিছুমান অত্যাবশ্যকীয় সামগ্ৰীৰ ওপৰত কৰ বহুওৱা হৈছে যে ইয়াৰ ফলত সমাজৰ তলখাপৰ, তল-মজলীয়া আৰু মজলীয়া খাপৰ ওপৰত কৰৰ বোজা গধূৰ হৈ পৰিছে। পেট্ৰোল বা পেট্ৰোলজাত সামগ্ৰী, চিগাৰেট, ময়দা, কাপোৰ, পেট্ৰো-ৰাসায়নিক সামগ্ৰী, চাবোন, প্ৰস্তুত সাজ-পোচাক আদিৰ ওপৰত অতিৰিক্ত কৰ ধাৰ্য্য কৰাৰ ফলত সৰ্ব-সাধাৰণৰ বোজা বাঢ়িব। উন্নত কৃষিৰ বাবে ব্যৱহাৰ কৰা ট্ৰেক্টৰৰ ওপৰতো শতকৰা দহভাগ অতিৰিক্ত কৰ লগোৱাৰ ফলত কৃষি-খণ্ডৰ অগ্ৰগতি ব্যাহত হ'ব। টেলিগ্ৰাফ, ডাক আৰু টেলিফোনৰ মাচুল বৃদ্ধিয়েও সৰ্বসাধাৰণক হেঁচা দিব।

এই কথা সত্য যে ইমানখিনি সত্ত্বেও শ্ৰীচবনে বাজেটখন নতুন ৰূপত তুলি ধৰিবলৈ পাৰ্য্যমানে চেষ্টা চলাইছে। বিভিন্ন পৰ্য্যায়ত ব্যক্তিগত আয়-কৰৰ নিৰিখ বৃদ্ধি কৰি; কোম্পানীৰ আয়ৰ ক্ষেত্ৰত ৰেহাই সংকোচন কৰি মূলধনী লাভ, সম্পদ-কৰ, দান-কৰ "চাৰ টেক্স" আদিৰ পৰিমাণ আৰু পৰিসৰ বৃদ্ধি কৰি; "ডেভেলপ্‌মেণ্ট ৰিবেট্", অগ্ৰাধিকাৰপূৰ্ণ উদ্যোগৰ নানা ৰেহাই আৰু এনে উদ্যোগৰ তালিকাৰ সঙ্কোচন ঘটাই; কোম্পানীৰ উচ্চ কৰ্মচাৰীৰ ব্যক্তিগত দৰমহা আৰু অন্যান্য সা-সুবিধাৰ সৰ্বোচ্চ নিৰিখ ধাৰ্য্যৰ বাবে আংশিক প্ৰচেষ্টা হাতত লৈ; কৰ এৰাই চলিবলৈ বা কৰ ফাঁকি দি চলিবলৈ বিচৰাসকলৰ কাৰ্য্যত বাধাদানৰ বাবে বিধিগত ব্যৱস্থা প্ৰস্তাৱ কৰি; অত্যাবশ্যকীয় সামগ্ৰী দুই-এপদত চলা ভেজাল প্ৰথা বন্ধ কৰিবলৈ উপযুক্ত বিধিগত ব্যৱস্থাৰ প্ৰস্তাৱ কৰি আৰু একাধিক ক্ষেত্ৰত সমাজৰ সম্পদশালী আৰু সুসংগঠিত অংশটোৰ আৰ্থিক প্ৰাধান্য সীমিত কৰিবৰ কাৰণে আগবাঢ়ি আহি শ্ৰীচবনে যথোচিত বাস্তৱ বুদ্ধিৰ পৰিচয় দিছে। অধিক আয়, অধিক সম্পদ, অধিক লাভ, অধিক অগ্ৰাধিকাৰ আৰু অধিক সুযোগ-সুবিধাৰ নগ্ন প্ৰদৰ্শন যোগে অযথা

গৰ্ববোধ কৰি অহা সমাজৰ প্ৰভাৱশালী অংশটোৰ আৰ্থিক আধিপত্য একেদিনাই নিশ্চয় নাইকিয়া কৰিব নোৱাৰি; পৰিকল্পিতভাৱে পৰ্য্যায়ক্ৰমে ইয়াত বাধাদান কৰাটো অৱশ্যে সম্ভৱপৰ। অত্যন্ত অগভীৰভাৱে হ'লেও শ্ৰীচৱনে এইবাৰৰ বাজেটত এনে প্ৰণালীবদ্ধ প্ৰচেষ্টাৰ শুভাৰম্ভ কৰা বাবে তেওঁ ধন্যবাদৰ পাত্ৰ। উন্নয়নমূলক আঁচনিৰ বাবে এই বছৰৰ বাজেটত যোৱা বছৰতকৈ তিনিশ কোটি টকা বেচিকৈ ধাৰ্য্য কৰি শ্ৰীচৱনে ভালেই কৰিছে। সেইদৰে, নিবনুৱাৰ কৰ্মসংস্থানৰ বাবে আগতে ধাৰ্য্য কৰা ৫০ কোটি টকাৰ উপৰিও শিক্ষিত নিবনুৱাৰ কৰ্মসংস্থানৰ আঁচনিৰ বাবে অতিৰিক্ত ২৫ কোটি টকা আছুতীয়াকৈ ৰাখি শ্ৰীচৱনে উচিত কাম কৰিছে। শিশুৰ পুষ্টিকৰ খাদ্য, স্বাস্থ্য আৰু অৱসৰ বিনোদনৰ বাবে বছৰটোৰ আঁচনিত দহ কোটি টকা ধাৰ্য্য কৰি শ্ৰীচৱনে "শিশুৰ চনদ" সম্পৰ্কীয় কংগ্ৰেছ দলৰ গুৰুত্বপূৰ্ণ প্ৰস্তাৱৰ প্ৰতি প্ৰাথমিক সঁহাৰি জনাইছে বুলি ধৰিব পাৰি। বিদেশ যাত্ৰাৰ ক্ষেত্ৰত কৰৰ ব্যৱস্থাও আদৰণীয়; পাবলিক স্কুলত হোৱা ছাত্ৰৰ এক-চতুৰ্থাংশক বৃত্তিদানৰ প্ৰস্তাৱো মন কৰিবলগীয়া। আক্ষেপ এয়ে যে সাধাৰণ শিক্ষাৰ ক্ষেত্ৰত শ্ৰীচৱনৰ বাজেটত বিশেষ একো কথাই কোৱা নহ'ল। প্ৰতিৰক্ষাই বাজেটৰ মুঠ ধনৰ শতকৰা কুৰি ভাগৰ অধিক দাবী কৰিছে। চলিত বছৰত প্ৰতিৰক্ষা বাজেটত ১২৪১.৬৬ কোটি টকা ধৰা হৈছে, এয়া যোৱা বছৰৰ ব্যয়তকৈ প্ৰায় ৬০ কোটি টকা বেচি। হয়তো অনিবাৰ্য্যভাৱেই এই ব্যয় বৃদ্ধি পাইছে। বাংলাদেশৰ শৰণাৰ্থীসকলৰ ভৰণ-পোষণৰ বাবে চলিত বছৰৰ বাজেটত ৬০ কোটি টকা ধাৰ্য্য কৰা হৈছে যদিও ইমানতেই সাৰিব পৰা হ'ব বুলি আশা কৰিব নোৱাৰি, কিয়নো শৰণাৰ্থীৰ সোঁত অব্যাহতভাৱে চলি আছে আৰু আন্তৰ্জাতিক সাহায্যৰ নিৰিখো সন্তোষজনক হৈ উঠা নাই। অন্যান্য দেশসমূহে এতিয়ালৈকে আগবঢ়োৱা সাহায্যৰ পৰিমাণ বাৰ কোটি টকাৰ অধিক নহয়।

সি যি কি নহওক, কাগজে-কলমে কৰি দেখুওৱা যোগ-বিয়োগেই বাজেটৰ শেষ কথা নহয়; বাজেট বক্তৃতাৰ প্ৰস্তাৱ-প্ৰতিশ্ৰুতিয়েই প্ৰগতিৰো শেষ মাইলৰ খুটি নহয়। প্ৰস্তাৱ-প্ৰতিশ্ৰুতি আৰু আশ্বাস-আঁচনিৰ এইখন দেশত কাহানিও অভাৱ হোৱা নাই; তত্ৰাচও দেশৰ আজি এই অৱস্থা। এনে ক্ষেত্ৰত শ্ৰীচৱনৰ কেন্দ্ৰীয় বাজেটৰ কাৰ্য্যকাৰিতা সম্পৰ্কে নিশ্চিত ভৱিষ্যতবাণী কৰাটো যেনেকৈ সম্ভৱ নহয়, সেইদৰেই এই বাজেটৰ ওপৰত চৰম নৈৰাশ্য প্ৰকাশ বা অত্যধিক আশা প্ৰকাশ কোনোটোৱেই সহজ নহয়; এই কাৰণেই এই কথা কোৱা হৈছে যে বহুতো সহযোগীয়ে ইতিমধ্যেই আশঙ্কা কৰাৰ দৰে, এই বাজেটত যথাৰ্থ ঘাটিৰ পৰিমাণ ২২০ কোটিতকৈ বহুতো বেচি হ'ব পাৰে; ঘাটিৰ ফলত আৰু কৰ-কাটলৰ ফলত মুদ্ৰাস্ফীতিয়ে দেখা দিব পাৰে; চৰকাৰ বা সমাজৰ ইচ্ছাৰ বিৰুদ্ধেও কৰ এৰাই চলা বা কৰ ফাঁকি দিয়া কু-প্ৰথা বৃদ্ধি পাব পাৰে; বাংলাদেশৰ শৰণাৰ্থীৰ সোঁত আশাতীত হাৰত বাঢ়ি থাকিলে বা অনিচ্ছাসত্ত্বেও কাৰোবাৰ লগত যুদ্ধত অৱতীৰ্ণ হ'ব লগা হ'লে আঁচনি-বহিৰ্ভূত ব্যয়ৰ বোজা বেচি হৈ বাজেট ওলট-পালট হৈ যাব পাৰে; খেতিৰ বতৰ সন্তোষজনক নহ'লেই তথাকথিত "সেউজী বিপ্লৱ" সপোন হৈ পৰিব পাৰে আৰু বাজেটৰ বাজহাড় ভাগি যাব পাৰে; প্ৰাকৃতিক বা ৰাজনৈতিক দুৰ্যোগ উপস্থিত হ'লে সকলো হিচাব-নিকাচ পানীৰ মিঠৈ হ'ব পাৰে; কিবা কাৰণত বিদেশী সাহায্যৰ দুৱাৰ কিছু জাপ খাবলৈ হ'লেও অকই বেলেগ ৰূপ ল'ব পাৰে; দেশী আৰু বিদেশী ন্যস্ত স্বাৰ্থৰ প্ৰত্যাহ্বান চম্ভালিব নোৱাৰিলেও অত্যাৱশ্যকীয় খণ্ডতে (যেনে খাৰুৱা তেলৰ দাম বৃদ্ধিৰ বাবে বিদেশী উৎপাদন আৰু ব্যৱসায়ীয়ে প্ৰয়োগ কৰা হেঁচাৰ ওচৰত আমাৰ অসহায়তা) আমাৰ অৰ্থনীতিয়ে উজুটি খাব লগা হ'ব পাৰে। এই সকলোৰে বিপৰীতে আশানুৰূপভাৱে অনুকূল পৰিৱেশত পৰিলে আমাৰ বাজেট বৈপ্লৱীক কাৰ্য্যসূচীৰ এক প্ৰধান অঙ্গ হিচাবেও সমাদৃত হ'ব পাৰে।

আশা কৰা হৈছে কেন্দ্ৰীয় বাজেট ৰচনাত শ্ৰীচৱনৰ সৰ্বপ্ৰথম পূৰ্ণাঙ্গ প্ৰচেষ্টা ভৱিষ্যতৰ অভিজ্ঞতাৰ কষ্টি-শিলা হিচাবেই গৃহীত হ'ব।

ছাত্ৰ আন্দোলন

ছাত্ৰ আন্দোলন সম্পৰ্কে অধ্যাপক এড্‌ৱাৰ্ড শ্বিল্‌চে এটা অতি অৰ্থপূৰ্ণ মন্তব্য কৰিছে। তেওঁ কৈছিল যে ভাৰতৰ ছাত্ৰ আন্দোলনবোৰ সাধাৰণতে কোনো মৌলিক সামাজিক সমস্যাক ভিত্তি কৰি কৰা নহয়। বেচি ভাগ ছাত্ৰ আন্দোলনেই শিক্ষানুষ্ঠানৰ প্ৰশাসন সম্পৰ্কীয় ক্ষুদ্ৰ ক্ষুদ্ৰ কথাৰ ঠেক গণ্ডীৰ মাজতে আবদ্ধ থাকে। শিক্ষানুষ্ঠানৰ সংস্কাৰৰ দাবীত যিবোৰ আন্দোলন কৰা হয়, সেইবোৰৰো লক্ষ্য শিক্ষা ব্যৱস্থাৰ কোনো মৌলিক বা বৈপ্লৱীক সংস্কাৰ-সাধন নহয়। শিক্ষাৰ মাধ্যম, পৰীক্ষা-পদ্ধতি বা শিক্ষকৰ নিযুক্তি আদি গৌণ সমস্যাবোৰক কেন্দ্ৰ কৰিয়েই বেচি ভাগ ছাত্ৰ আন্দোলন গঢ় লৈ উঠে। মাজে মাজে অৱশ্যে ছাত্ৰসকলে শিক্ষানুষ্ঠানৰ গণ্ডী অতিক্ৰম কৰি সমাজৰ বৃহত্তৰ সংগ্ৰাম-ক্ষেত্ৰত অৱতীৰ্ণ হ'বলৈ চেষ্টা কৰে। কিন্তু তেতিয়াও তেওঁলোকৰ আন্দোলন ভিজিগাপট্টমত এটা ইস্পাতৰ কাৰখানা বা পাৰাদীপত এটা বন্দৰ স্থাপন আদিৰ দৰে আঞ্চলিক আৰু সাময়িক দাবীৰ মাজতে আবদ্ধ থাকে। মুঠতে সমাজৰ স্থায়ী আৰু মৌলিক সমস্যাবোৰৰ সমাধানৰ কাৰণে ভাৰতৰ ছাত্ৰসকলে আজিলৈকে বিশেষ কোনো আন্দোলন কৰা নাই।

নানা কাৰণত আজি কিছুদিনৰ পৰা অসমৰ ছাত্ৰ সমাজৰ মাজত ব্যাপক অস্থিৰতাই দেখা দিছে আৰু সেই অস্থিৰতা দিনে দিনে বাঢ়িব লাগিছে। ছাত্ৰসকলে তেওঁলোকৰ যি কোনো আন্দোলনৰ কাৰণে সমাজৰ স্বতস্ফূৰ্ত সমৰ্থন আশা কৰে। কেৱল আশা কৰে বুলি ক'লে ভুল কৰা হ'ব, তেওঁলোকে তেনে সমৰ্থন দাবী কৰে। সমাজেও আন যিকোনো গোষ্ঠীগত আন্দোলনতকৈ ছাত্ৰসকলৰ আন্দোলনক কিছু বেচি প্ৰশ্ৰয়ৰ চকুৰে চায়। যিবোৰ কাৰণত অসমৰ ছাত্ৰসমাজৰ মাজত অশান্তিয়ে দেখা দিছে, সেই কাৰণবোৰৰ প্ৰতি সাধাৰণভাৱে সমাজৰ সহানুভূতি থকা যেন অনুভৱ হয়। কিন্তু সম্প্ৰতি ছাত্ৰ আন্দোলনৰ নামত এনে কিছুমান ঘটনা ঘটিব লাগিছে যিবোৰ অসমৰ ছাত্ৰ আন্দোলনৰ চৰিত্ৰ আৰু লক্ষ্য সম্পৰ্কে কেইটামান মৌলিক প্ৰশ্ন দাঙি ধৰিছে। ছাত্ৰসকলে যদি ভৱিষ্যতেও তেওঁলোকৰ আন্দোলনবোৰৰ প্ৰতি সমাজৰ পূৰ্ণ সমৰ্থন পাবলৈ আশা কৰে, তেন্তে সমাজেও তেওঁলোকৰ পৰা এই প্ৰশ্নকেইটাৰ উত্তৰ পাবলৈ আশা কৰে।

প্ৰথমতে, শিক্ষানুষ্ঠানত পুলিচৰ প্ৰৱেশৰ কথাই ধৰা যাওক। শিক্ষানুষ্ঠানৰ পৰিৱেশ শান্ত আৰু পৱিত্ৰ হৈ থকাটোকেই সকলোৱে কামনা কৰে আৰু তাত পুলিচৰ উপস্থিতি বাঞ্ছা নকৰে। কিন্তু কোনো অৱস্থাতেই শিক্ষানুষ্ঠানত পুলিচে প্ৰৱেশ কৰিব নোৱাৰিব— এনে এটা চূড়ান্ত আৰু অলংঘনীয় নীতি স্বীকাৰ কৰি লোৱা সম্ভৱনে? উদাহৰণ স্বৰূপে, পুলিচে যদি খবৰ পায় যে কলেজ বা বিশ্ববিদ্যালয়ৰ কোনো এটা ছাত্ৰাবাসত দুদল ছাত্ৰৰ মাজত সংঘৰ্ষ লাগিছে আৰু সংখ্যাত তাকৰীয়া দলটোৰ ছাত্ৰসকলৰ প্ৰাণৰেই সংশয় উপস্থিত হৈছে, তেনে অৱস্থাত পুলিচে বা শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষই কি কৰিব? সংখ্যা-লঘিষ্ঠ ছাত্ৰৰ দলটোক সংখ্যা-গৰিষ্ঠৰ হাতৰ মাৰ খাই মৰিবলৈ এৰি দিব, নে পুলিচৰ দ্বাৰাই তেওঁলোকৰ উদ্ধাৰৰ ব্যৱস্থা কৰিব? মাৰাত্মক অপৰাধ কৰি যদি কোনোবা ছাত্ৰই ছাত্ৰাবাসত আত্মগোপন কৰি থাকে, তেন্তে তেওঁক ধৰিবলৈ পুলিচক ছাত্ৰাবাসত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হ'বনে নহয়? এনেবোৰ প্ৰশ্ন উত্থাপন কৰি অধ্যাপক

হল্‌ডেনে এবাৰ মন্তব্য কৰিছিল যে আইনৰ চকুত সকলো সমান— এই নীতি যদি গ্ৰহণ কৰা হয়, তেন্তে ছাত্ৰসকলে সুকীয়াকৈ পুলিচৰ পৰা বিশেষ ব্যৱহাৰ পাবলৈ কেতিয়াও দাবী কৰিব নোৱাৰে। ছাত্ৰসকলে পুলিচৰ পৰা সমাজৰ আন সকলো শ্ৰেণীৰ মানুহতকৈ সুকীয়া ব্যৱহাৰ দাবী কৰাৰ অৰ্থই হ'ব এই যে তেওঁলোকে নিজকে চুপাৰ-চিটিজেন বা উচ্চস্তৰৰ নাগৰিক বুলি দাবী কৰে। জৰ্জ অৰ্‌ৱেলৰ এনিমেল ফাৰ্মত যেনেকৈ সকলো প্ৰাণীয়েই সমান আছিল, কিন্তু তাৰে ভিতৰত কিছুমান প্ৰাণী আনবোৰতকৈ বেছি সমান আছিল (All are equal, but there are some who are more equal than the others.); ঠিক তেনেকৈ ছাত্ৰসকলেও সমাজত সকলো মানুহেই সমান বুলি স্বীকাৰ কৰি লৈ নিজকে বেচি সমান বুলি দাবী কৰা যেন দেখা গৈছে। ছাত্ৰসকলৰ এই বিশেষাধিকাৰৰ দাবীয়ে তেওঁলোকক সমাজৰ পৰা বিচ্ছিন্ন কৰি তুলিব আৰু ফলত তেওঁলোকৰ আন্দোলনো নৈতিকভাৱে ক্ষতিগ্ৰস্ত হ'ব। গতিকে ছাত্ৰসকলে যদি বৃহত্তৰ সমাজৰ সুখ-দুখৰ সমান অংশীদাৰ হ'ব খোজে আৰু অন্যায়-অবিচাৰৰ বিৰুদ্ধে সংগ্ৰামত সমাজকো অংশীদাৰ হিচাবে পাব খোজে, তেন্তে তেওঁলোকে যি কোনো ধৰণৰ বিশেষ অধিকাৰ বা ব্যৱহাৰৰ দাবী পৰিত্যাগ কৰা উচিত। তেতিয়াহে ছাত্ৰৰ আন্দোলন, শ্ৰমিকৰ আন্দোলন, কৃষকৰ আন্দোলন আদি সকলোবোৰ সামাজিক আন্দোলনৰ মাজত ঐক্যবোধ স্থাপিত হ'ব।

দ্বিতীয়তে, এটা কথা লক্ষ্য কৰা হৈছে যে কোনোবা এখন ঠাইৰ স্থানীয় ছাত্ৰসকলে কিবা এটা দাবীত বিক্ষোভ আৰম্ভ কৰিলেই বন-জুইৰ দৰে সেই আন্দোলন মুহূৰ্ততে চাৰিওফালে বিয়পি পৰে। সেই বিশেষ ছাত্ৰসকলৰ দাবীৰ যৌক্তিকতা সম্পৰ্কে বিচাৰ কৰি চোৱাৰ প্ৰয়োজনো কোনেও অনুভৱ নকৰে। The King can do no wrong নীতিত বিশ্বাস কৰা লোকসকলৰ দৰে ছাত্ৰ সমাজে ধৰিয়েই লয় যে ছাত্ৰসকলে কেতিয়াও কোনো ভুল কৰিব নোৱাৰে। ছাত্ৰৰ সৰ্বপ্ৰকাৰ বিক্ষোভৰ প্ৰতি এনে নিৰ্বিচাৰ আৰু নিঃচৰ্ত সমৰ্থন আগবঢ়াই ছাত্ৰ-শক্তিৰ ঐক্য আৰু সংগঠনক যিমান শক্তিশালী কৰা হয়, ঠিক সেই পৰিমাণেই শক্তিহীন কৰি তোলা হয় ছাত্ৰ-আন্দোলনৰ নৈতিক ভিত্তিটোক। উদাহৰণ স্বৰূপে— কোনোবা এখন কলেজত কোনোবা পৰীক্ষা হলত অসৎ উপায় অৱলম্বন কৰাৰ কাৰণে কেইজনমান ছাত্ৰক বহিষ্কাৰ কৰা হ'ল; সেই জনপ্ৰিয় ছাত্ৰকেইজনৰ প্ৰতি সহানুভূতিত বাকী সকলো পৰীক্ষাৰ্থীয়েই পৰীক্ষা বৰ্জন কৰি কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ বিক্ষোভ আৰম্ভ কৰিলে। এতিয়া যদি এই ছাত্ৰকেইজনে তেওঁলোকৰ দাবীৰ প্ৰতি সমৰ্থন বিচাৰি অসমৰ সদৌ ছাত্ৰ সমাজৰ প্ৰতি আবেদন কৰে, তেন্তে বাকী ছাত্ৰসকলে কথাটোৰ আঁতি-গুৰি বিচাৰ নকৰাকৈয়ে ধৰ্মঘট, হৰতাল আদি আন্দোলনত জঁপিয়াই পৰা উচিতনে? তাৰ দ্বাৰা ছাত্ৰসকলৰ মূল্যবান সময় আৰু শক্তিৰ অপচয় হোৱাৰ বাহিৰে সমাজৰ বা ছাত্ৰসকলৰ নিজৰ কিবা লাভ হ'বনে? যি কোনো সংগ্ৰাম বা আন্দোলন সৃষ্টি কৰিবলৈ আবেগৰ খুব প্ৰয়োজন। কিন্তু যুক্তিক বাদ দি কেৱল উচ্ছ্বাস-সৰ্বস্ব আবেগৰ দ্বাৰাই কোনো মহৎ আন্দোলন পৰিচালিত হ'ব নোৱাৰে। এজন পণ্ডিতে ক'বৰ দৰে— আবেগ হ'ল বিজুলী-শক্তি আৰু যুক্তি বা বুদ্ধি হ'ল কাৰখানাৰ যন্ত্ৰপাতি। বিজুলী শক্তি নহ'লে বা বন্ধ হৈ গ'লে ফেক্টৰী চলিব নোৱাৰে, কিন্তু ফেক্টৰী নাথাকিলে বিজুলী শক্তি খৰচ কৰি থকাৰ পৰা একো কাম নহ'ব; সি হ'ব শক্তিৰ অপচয় মাত্ৰ। অসমৰ ছাত্ৰ-আন্দোলনৰ নেতাসকলক এই কথাটো বিবেচনা কৰি চাবলৈ আমি অনুৰোধ কৰিলোঁ। আমাৰ সমগ্ৰ সমাজৰ সন্মুখত যি ভয়াবহ দুৰ্দিন আহিব ধৰিছে, সেই দুৰ্দিনৰ সময়ত ছাত্ৰসকলে সমাজৰ শোষিত আৰু পীড়িত জনতাৰ মুক্তিৰ কাৰণে কঠোৰ সংগ্ৰামত অৱতীৰ্ণ হ'ব লাগিব। তাৰ কাৰণে তেওঁলোকে তুচ্ছ

আৰু অনাহক কথাত শক্তি ক্ষয় নকৰি এতিয়াৰ পৰাই সেই চূড়ান্ত সংগ্ৰামৰ কাৰণে শক্তি সঞ্চয় কৰিব লাগিব। তাৰ কাৰণে তেওঁলোকে ছাত্ৰ সমাজৰ প্ৰত্যেকটো তুচ্ছাতিতুচ্ছ দাবীতে আন্দোলনত জঁপিয়াই পৰাৰ আগতে প্ৰত্যেকটো দাবীক যুক্তিৰ কষটি-শিলত পৰীক্ষা কৰি লোৱা উচিত বুলি আমি ভাবোঁ। কেৱল উত্তেজনা সৃষ্টি কৰাটোৱেই নেতৃত্বৰ একমাত্ৰ পৰীক্ষা নহয়; নেতৃত্বৰ চৰম পৰীক্ষা হ'ল বৌদ্ধিক শক্তি আৰু নৈতিক প্ৰভাৱৰ প্ৰমাণ দেখুৱাব পৰাটোহে।

সৰ্বশেষত আমি ক'ব খোজোঁ যে ছাত্ৰসকলে তেওঁলোকৰ সীমিত স্বাৰ্থৰ কাৰণে কাম কৰাত যি পৰিমাণৰ তৎপৰতা দেখুৱাইছে, সমাজৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে কাম কৰাত সিমানখিনি তৎপৰতা দেখুৱাব পৰা নাই। ছাত্ৰাবাসত পানী যোগান বন্ধ হ'লে তেওঁলোকে আন্দোলন কৰে, কিন্তু সমাজৰ লক্ষ লক্ষ মানুহে আজিও এটোপা বিশুদ্ধ পানীৰ অভাৱত খাল-দোঙৰ দুষিত পানী খাই কিভাৱে দিন কটাইছে সেই কথা বোধহয় তেওঁলোকৰ মনলৈ নাহে। কলেজ বা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ দুৰ্নীতিৰ বিৰুদ্ধে তেওঁলোকে সংগ্ৰাম কৰে, কিন্তু তেওঁলোকে এই কথা মনত নাৰাখে যে বিশ্ববিদ্যালয়ৰ দুৰ্নীতি এটা বিচ্ছিন্ন ঘটনা নহয়, ই সমাজৰ সৰ্বাত্মক দুৰ্নীতিৰেই এটা ক্ষুদ্ৰ অংশ মাত্ৰ। সমাজৰ কোটি কোটি মানুহে এই ব্যাপক সামাজিক অন্যায় আৰু দুৰ্নীতিৰ নিৰুপায় বলী হৈ দিন কটাব লগা হৈছে। ছাত্ৰসকলে নিজকে দুৰ্নীতিৰ কু-ফলৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰাৰ লগতে এই অসহায় শোষিত মানুহবোৰকো দুৰ্নীতিৰ কবলৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰা উচিত আৰু সেই উদ্দেশ্যেৰে তেওঁলোকৰ সীমিত সংগ্ৰামক সমাজৰ বৃহত্তৰ সংগ্ৰামৰ লগত যুক্ত কৰিবলৈ চেষ্টা কৰা উচিত।

অসম চৰকাৰৰ নতুন উদ্যোগ ঃ চাহ নিগম

অলপতে অসমৰ উদ্যোগ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মাই ঘোষণা কৰিছে যে ৰাজ্য চৰকাৰে অসমৰ চাহ-বাগিচাসমূহৰ পৰিচালনাৰ বাবে প্ৰধানকৈ চৰকাৰী উদ্যমত এটা ৰাজ্যিক চাহ নিগম গঠন কৰিব। এই ঘোষণা শুনি আমি সুখী হ'লেও আৰু চাহ নিগমৰ দৰে অনুষ্ঠান এটা প্ৰতিষ্ঠা কৰাত নীতিগতভাৱে আমাৰ বিৰোধিতা নাথাকিলেও এই সন্দৰ্ভত আমাৰ মনত কিছু উদ্বেগ আৰু সংশয় আছে- যিবোৰৰ বিষয়ে অসমৰ ৰাইজ আৰু চৰকাৰক আমি এতিয়াই সকিয়াই ৰখা উচিত বুলি বিবেচনা কৰোঁ।

যোৱা বছৰৰ জুন মাহত এটা সম্পাদকীয় প্ৰবন্ধৰ যোগেদি আমি অসমৰ ৰাজহুৱা আৰু সমবায়খণ্ডৰ উদ্যোগসমূহৰ বিষয়ে আমাৰ মতামত প্ৰকাশ কৰিছিলোঁ। সেই প্ৰসঙ্গত অসমত ৰাজহুৱা খণ্ডত হোৱা প্ৰায়বোৰ উদ্যোগৰ বিষয়ে তথ্যপাতি উল্লেখ কৰি দেখুওৱা হৈছিল যে কেনে ধৰণেৰে এই প্ৰতিষ্ঠানসমূহে "পৰ্বত প্ৰমাণ অপচয় আৰু লোকচানৰ' যোগেদি দুখীয়া ৰাইজৰ কষ্টোপাৰ্জিত লক্ষ লক্ষ টকা পানীত পেলাই আহিছে। এনে শোকাবহ অৱস্থা হোৱাৰ কাৰণসমূহৰ বিষয়েও সেই প্ৰবন্ধত আমি বিস্তৃত আলোচনা কৰি কৈছিলোঁ যে এই প্ৰতিষ্ঠানবোৰ সুস্থ আৰু সজীৱ জনপ্ৰতিষ্ঠান হোৱাটো দূৰৰ কথা, সম্পূৰ্ণ জনসংযোগহীন আৰু অৰ্ধমৃত প্ৰতিষ্ঠানলৈহে পৰিণত হৈছে। তথাকথিত নতুন অৰ্থনীতিৰ প্ৰধান ধাৰক আৰু বাহক বুলি ঘোষিত এই প্ৰতিষ্ঠানবোৰ দৰাচলতে আওপুৰণি আৰু গেলা-কোমোৱা তুল্য স্থিতাৱস্থাৰ প্ৰতিনিধিহে হৈ পৰিছে।

আমি আগতেই কৈছোঁ যে প্ৰস্তাৱিত চাহ-নিগমটো প্ৰতিষ্ঠা কৰাত নীতিগতভাৱে আমাৰ বিৰোধিতা নাই, বৰঞ্চ এনে নিগমৰ আৱশ্যকতাৰ অনিবাৰ্য্যতাৰ বিষয়ে আমি এই প্ৰবন্ধতে আলোচনা কৰিছোঁ আৰু পলমকৈ হ'লেও চৰকাৰে এই বিষয়ে কাৰ্য্য-ব্যৱস্থা হাতত লোৱা দেখি সন্তোষ পাইছোঁ। কিন্তু ৰাজহুৱা খণ্ডৰ বিষয়ে ওপৰত উনুকিয়াই অহা মতে যিবোৰ কাৰণত আমি নিৰাশ হ'বলগীয়া হৈছোঁ— সেই একেখিনি কাৰণৰ কথা চিন্তা কৰিয়েই চাহ নিগমৰ ক্ষেত্ৰতো আমাৰ মনত উদ্বেগ আৰু আশঙ্কাই ঠাঁই পাইছে। বিভিন্ন মহলৰ সমালোচনাৰ সম্মুখীন হোৱা সত্বেও ৰাজহুৱাখণ্ডৰ উদ্যোগসমূহক ব্যৱসায়িক ভিত্তিত সুস্থভাৱে পৰিচালিত কৰিবলৈ চৰকাৰ এতিয়াও সমৰ্থ হোৱা নাই আৰু এই পৰিপ্ৰেক্ষিতত আৰু এটা নতুন ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠাৰ বিষয়ে আমি এনে মনোভাব পোষণ কৰাটো নিশ্চয় দোষণীয় নহ'ব।

আমাৰ উদ্বেগৰ আৰু এটা বিশেষ হেতু আছে। অৰ্থনীতিৰ অ-আ-ক-খ জনা ছাত্ৰ এজনেও জানে যে আন ৰাজ্যৰ দৰে বহুবিধ উদ্যোগ নথকাৰ বাবে অসমৰ সমগ্ৰ অৰ্থনীতি চাহৰ ওপৰত নিৰ্ভৰশীল। ৰাজ্যখনৰ ইঞ্জিনীয়াৰিং উদ্যোগ, প্লাইউড উদ্যোগ, নিৰ্মাণ উদ্যোগ পৰিবহনৰ বহু অংশ আৰু গ্ৰাম্য বজাৰৰ শতকৰা পঞ্চাশ ভাগ চাহৰ ওপৰত নিৰ্ভৰশীল। ৰাজ্যখনৰ ভালেখিনি বেহা-বেপাৰ চাহ-শিল্পকেই কেন্দ্ৰ কৰি চলে। অসমৰ ৰাজকোষলৈ এই শিল্পৰ বৰঙণি আৰু নিযুক্তিৰ ক্ষেত্ৰত এই শিল্পৰ বৃহৎ ভূমিকাৰ বিষয়ে বহলাই ক'ব আৱশ্যক নাই। অথচ এই চাহ-শিল্পৰ বেলিকা যদি অসম চৰকাৰে সোপা-টিলা প্ৰশাসন ব্যৱস্থাৰে চালিত তথাকথিত চাহ নিগমটোৰ যোগেদি গতানুগতিক পৰীক্ষা নিৰীক্ষাৰ (Trial and error) মাজেৰে কাম

চলাই যাব খোজে তেন্তে অসমৰ অৰ্থনীতিত ইয়াৰ প্ৰভাৱ অতি বিষময় হ'ব পাৰে আৰু তাৰ ফলাফল সুদূৰ প্ৰসাৰী হ'ব। এই সাৱধান বাণী শুনোৱাৰ কাৰণ এইটো নহয় যে আমি এই নতুন নিগম প্ৰতিষ্ঠাত বাধা দিব খুজিছোঁ ঃ এই কথা উল্লেখ কৰাৰ কাৰণ এয়ে যে এই নিগম প্ৰতিষ্ঠা কৰিবলৈ লওঁতে ইয়াৰ ভৱিষ্যত সাফল্যৰ সম্ভাৱনাৰ বিষয়ে এতিয়াই নিঃসন্দেহ লৈ ল'ব লাগিব।

চাহ নিগমৰ দৰে প্ৰতিষ্ঠান এটাৰ জড়িয়তে চাহ বাগিচাসমূহৰ উপযুক্ত শাসন আৰু ৰক্ষণাবেক্ষণ যে নিতান্ত প্ৰয়োজন সেই বিষয়ে আমাৰ মনত অকণো সন্দেহ নাই। অভিযোগ উঠিছে যে এচাম নতুন ব্যৱসায়ীয়ে চাহ-বাগিচাবোৰ হস্তগত কৰি এইবোৰৰ প্ৰতিপালনৰ প্ৰতি পিঠি দি ৰাতিটোৰ ভিতৰতে ধনী হ'বৰ কাৰণে বাগিচাবোৰৰ মাটি-বাৰী বাহ-কাঠ বিক্ৰী কৰি তেওঁলোকৰ নিয়োজিত পুঁজি উঠাই ল'বলৈ চেষ্টা কৰিছে। তদুপৰি নিযুক্তিৰ বেলিকা থলুৱা লোকক বঞ্চিত কৰি এওঁলোকে অন্য প্ৰদেশৰ পৰা নিজৰ অগুহী-বগুহী আমদানি কৰি চাহ-বাগিচাত খালি হোৱা চাকৰিবোৰ পূৰণ কৰিবলৈ ধৰিছে। এনেবোৰ কথাত অসমৰ ৰাইজ উদ্বিগ্ন নহৈ থাকিব নোৱাৰে আৰু অসম চৰকাৰে ইয়াৰ সমুচিত প্ৰতিকাৰৰ পথ বাহিৰ কৰিবই লাগিব। কিন্তু ৰাষ্ট্ৰ আৰু জন-সমষ্টিৰ দীৰ্ঘম্যাদী স্বাৰ্থত এনে কাৰণসমূহৰ উপৰিও এই চাহ-বাগিচাবোৰৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ প্ৰৱেশ আৰু প্ৰতিপত্তি বৃদ্ধিৰ কিছুমান ভৱিষ্যতমুখী গভীৰ কাৰণ আছে।

আমাৰ বিচাৰত কৰ-কাটল পৰিশোধ কৰাৰ পিচত বছৰি অসমৰ বাগিচাসমূহৰ ৬/৭ কোটি টকা ৰাহী হয়। সহজ ভাষাত ইয়াক আমি মালিকসকলৰ লাভ বুলি কওঁ। এই টকাৰ সংখ্যাটোৰ গুৰুত্ব বুজাত সুবিধা হ'ব যদি আমি চিন্তা কৰি লওঁ যে এইখিনি টকাৰে বছৰি অসমত দুটাকৈ চিমেণ্ট কাৰখানা বা তিনিটাকৈ কাগজৰ কল স্থাপন কৰিব পৰা যায়। কিন্তু বৰ্তমান এই ৰাহী ধনখিনিৰ শতকৰা নৱৈভাগেই অসমত নাথাকে— অসমৰ উদ্যোগ উন্নয়নৰ বাবে ইয়াক নিয়োজিত হোৱাটো দূৰৰে কথা।

শ্ৰম আৰু পুঁজিয়েই হ'ল এখন পিচপৰা দেশ গঢ়িবৰ বাবে প্ৰধান অস্ত্ৰ। অথচ নিজৰ সম্পদৰ পৰা জমা হোৱা প্ৰায় সকলোখিনি পুঁজিকে সদায় বাহিৰলৈ পঠাই থাকিলে এই ৰাজ্যখনে কেনেকৈ নিজক গঢ়ি তুলিব? অসমৰ অন্যান্য সমস্ত খনিজ বা বনজ সম্পদ যদি আজি কিবা কাৰণে নোহোৱা হৈয়ো যায় তথাপি কেৱল চাহৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমৰ অৰ্থনীতি বৰ্তি থাকিব পাৰে। অকল সেয়ে নহয়, এই চাহৰ পৰা লব্ধ সম্পদৰ যথাযথ প্ৰয়োগৰ দ্বাৰা অসমৰ অৰ্থনীতিক গতিমুখী কৰি তুলিব পাৰি। এই ফালৰ পৰা চালে চাহ-বাগিচাসমূহক ৰাজহুৱাখণ্ডৰ আয়ত্বলৈ অনাৰ প্ৰচেষ্টা এটা গঠনমুখী পদক্ষেপ আৰু এই কাম শাসনাধিস্থ দলৰ ঘোষিত সমাজনীতিৰ অনুকূল।

তদুপৰি বৰ্ধিত চাহিদা পূৰণ কৰিবৰ বাবে চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত চাহৰ উৎপাদন বছৰি শতকৰা তিনি ভাগ বৃদ্ধি কৰিবলৈ লক্ষ্য ধাৰ্য্য কৰা হৈছে আৰু ইয়াৰ বাবে ৮৮ কোটি টকা ওপৰঞ্চি বিনিয়োগৰ প্ৰয়োজন হ'ব বুলি অনুমিত হৈছে। এই বৃদ্ধিৰ হাৰ বজাই ৰাখিব নোৱাৰিলে অন্যান্য উৎপাদক ৰাজ্যৰ লগত প্ৰতিযোগিতাত অসম পিচপৰি যাব আৰু ফলত চাহ-বজাৰত অসমৰ স্থান আনে কাঢ়ি ল'ব। কিন্তু এই উৎপাদন বৃদ্ধিৰ সম্পূৰ্ণ দায়িত্ব বে-চৰকাৰী খণ্ডই অকলে বহন কৰিবলৈ সমৰ্থ হোৱাটো সন্দেহজনক আৰু এই দায়িত্ব তেওঁলোকৰ হাতত এৰি দিয়াটো দুটা কাৰণত আমি সমীচিন নহয় বুলি ভাবোঁ। প্ৰথম কাৰণ হ'ল— ভাৰতৰ সকলোবোৰ প্ৰধান বিত্তীয় অনুষ্ঠান ৰাজহুৱাখণ্ডৰ আয়ত্তাধীন হৈ পৰিছে আৰু ফলত বিনিয়োগ ক্ষেত্ৰত বে-চৰকাৰী খণ্ডৰ প্ৰাধান্য আৰু ভূমিকা গৌন হৈ আহিছে। দ্বিতীয় কাৰণটো হ'ল— বে-

চৰকাৰী খণ্ডৰ বিকাশ- বিমুখতা— যি অভিযোগ বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ মুখপাত্ৰসকলৰ পৰাই আহিছে। চলিত বছৰৰ কেন্দ্ৰীয় বাজেটে যে এই বিমুখতা দূৰ কৰিব তেনে সম্ভাৱনাও ক্ষীণ। এনে অৱস্থাত যিবোৰ শিল্পত নিশ্চিত বিনিয়োগৰ বাহিৰে পৰিত্ৰাণ নাই তেনে বিনিয়োগৰ বাবে ৰাজহুৱা খণ্ড আগবাঢ়ি নাহিলে গত্যন্তৰ নাই। অসমৰ চাহ-শিল্প ইয়াৰ ভিতৰতে পৰে।

এনে দায়িত্বপূৰ্ণ ভূমিকা ল'বলগীয়া হ'ব বাবেই প্ৰস্তাৱিত চাহ নিগমটোক আমি অন্যান্য ৰাজহুৱা নিগমতকৈ বেলেগ চকুৰে চাবলৈ বাধ্য হৈছোঁ আৰু এই নিগম গঠনৰ বেলিকা যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে বুলি মত প্ৰকাশ কৰিছোঁ। কেৱল চৰকাৰী চাকৰিয়ালৰ হাতত ৰঙা ফিটাৰ মেৰপাকেৰে বন্দী হৈ থকাতকৈ এই প্ৰতিষ্ঠান একেবাৰে নোহোৱাই ভাল। চাহ নিগম গঠন কৰোঁতে চৰকাৰে নিজৰ আৰু লগতে বিনিয়োগ কৰিবলৈ আগবাঢ়ি অহা বিত্তীয় অনুষ্ঠানসমূহৰ প্ৰতিনিধিসকলৰ উপৰিও বে-চৰকাৰী খণ্ডত যিসকল ৰাজহুৱা খণ্ডৰ শুভাকাংক্ষী আৰু চাহ শিল্পৰ বিষয়ে অভিজ্ঞলোক আছে তেওঁলোকৰ সক্ৰিয় সহযোগ আহ্বান কৰি এই নিগমৰ পৰিচালনাত তেওঁলোকৰ মতামতকো প্ৰাধান্য দিয়া উচিত হ'ব। আমাৰ চিন্তা অনুসৰি এই কাৰ্য্য এনে ধৰণেৰে সমাধান কৰিব পৰা যায় : নিগমৰ পুঁজি তিনি ভাগত ভাগ কৰা হওক ঃ (ক) শতকৰা ৫০ ভাগ অংশ ৰাজ্য চৰকাৰে লওক, (খ) শতকৰা ৩০ ভাগ অংশ বিত্তীয় অনুষ্ঠানৰ হাতত থাকক আৰু (গ) শতকৰা ২০ ভাগ অংশ বে-চৰকাৰী খণ্ডত বিলোৱা হওক। (গ)ৰ এটা বুজন অংশ চাহ-বনুৱাসকললৈ আগবঢ়োৱা হওক। নিৰ্দেশনা বৰ্ডত নিৰ্বাচনৰ যোগে গৰিষ্ঠ সংখ্যক আসন বে-চৰকাৰী অংশৰ পৰা অৰ্থাৎ (গ)ৰ পৰা পূৰণ কৰা হওক আৰু লঘিষ্ঠ সংখ্যক অংশ চৰকাৰ আৰু বিত্তীয় অনুষ্ঠানৰ প্ৰতিনিধিসকলে পূৰণ কৰক। (ক) আৰু (গ) অংশৰ বিনা অনুমোদনে (খ) শাখাৰ অংশ হস্তান্তৰ কৰাত যিমন দূৰ সম্ভৱ নিষেধ ব্যৱস্থা দেখা হওক। নিৰ্দেশনা বোৰ্ডৰ (গ) শাখাৰ প্ৰাৰ্থীৰ বাবে নূন্যতম কৰিবলগীয়া অংশৰ পৰিমাণ ধাৰ্য্য কৰি দিয়া হওক, যাতে এনে ব্যক্তিসকলৰ এই অনুষ্ঠানৰ প্ৰতি এটা নিজৰ গৰজ (Stake) থাকে।

নিৰ্দেশনা বৰ্ডৰ (গ) শাখাৰ সংখ্যা গৰিষ্ঠতাত ভয় খোৱাৰ আৱশ্যক নাই। যিহেতু এই অংশৰ আসনখিনি কেৱল নিৰ্বাচনৰ যোগেদিহে পূৰণ হ'ব এতেকে (ক) আৰু (খ) অংশ মিলি যি কোনো অবাঞ্ছনীয় ব্যক্তিক নিৰ্দ্দেশনা বৰ্ডত প্ৰৱেশ কৰাৰ পৰা বাধা দিব পাৰিব, লগতে কোনো বাঞ্ছনীয় ব্যক্তিক বৰ্ডলৈ মনোনীত কৰিবৰ অধিকাৰ এই দুই অংশৰ হাতত সম্পূৰ্ণভাৱে থাকিব। আনহাতেদি বে-চৰকাৰী সভ্য বেচি হোৱা বাবে দৈনন্দিন পৰিক্ৰমাত নিগমৰ কাম-কাজ ব্যৱসায়মুখী হ'ব আৰু দীৰ্ঘসূত্ৰতা হ্ৰাস পাব। চমু কথাত এই ব্যৱস্থাত নিগমৰ কাৰ্য্যাৱলী সাধাৰণ দিশ নিৰ্ণয় কৰাৰ ক্ষমতা সম্পূৰ্ণৰূপে (ক) আৰু (খ) অংশ অৰ্থাৎ চৰকাৰী অংশৰ হাতৰ মুঠিত ৰাখিও ইয়াৰ দৈনন্দিন আৰু যাৱতীয়া কাৰ্য্য পৰিচালনাৰ বাবে শিল্প-পটু ব্যৱসায়িক, প্ৰশাসন-দক্ষ আৰু দায়িত্বশীল লোকৰ সেৱাৰ সুযোগ লোৱাৰ পথ খোলা থাকিব।

কিন্তু তথাপিও নিগমৰ সাফল্যৰ চূড়ান্ত পৰীক্ষা হ'ব ইয়াৰ উপযুক্ত কৰ্ম-কৰ্তা বাছনিত। অভিজ্ঞ, পৰিশ্ৰমী, নিষ্ঠাবান, সাধাৰণৰ আস্থাৰ যোগ্য আৰু ৰাজহুৱা খণ্ডত প্ৰত্যয় থকা ব্যক্তিয়ে ইয়াৰ গুৰি ধৰিলে এই নিগমে অসমৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰাত বহুখিনি বৰঙণি যোগাব পাৰিব বুলি আমাৰ বিশ্বাস।

বতৰৰ গান

বতৰৰ প্ৰথম বৰষুণজাকৰ গোন্ধ পোৱাৰ লগে লগেই গাঁওৰ ভেকুলীবোৰে যেনেকৈ বাহিৰলৈ ওলাই আহি সমস্বৰে টোৰ-টোৰাবলৈ আৰম্ভ কৰে, তেনেকৈ বাৰিষা কাল কাষ চাপি অহাৰ লগে লগেই অসমৰ মানুহেও চিঞৰ-বাখৰ আৰম্ভ কৰি দিয়ে। তফাৎ মাত্ৰ এয়েই যে ভেকুলীয়ে চিঞৰে মনৰ আনন্দত, অসমৰ ৰাইজে চিঞৰে ভয়ত আৰু দুশ্চিন্তাত।

চৰকাৰী হিচাব মতে অসমত বানপানীয়ে গড় হিচাবে বছৰি প্ৰায় ৭.৫ কোটি টকাৰ সা-সম্পত্তি আৰু শস্য নাশ কৰে। কুৰি বছৰ ধৰি এই ধ্বংস লীলা চলিব লাগিছে। গতিকে ক্ষতিৰ পৰিমান সহজেই অনুমেয়। কিন্তু সা-সম্পত্তিৰ বাহিৰেও বানপানীয়ে আন এনে কিছুমান ক্ষতি সাধন কৰিব লাগিছে— যিবোৰ ক্ষতি সহজে কাৰো চকুত নপৰে, কিন্তু যিবোৰ ক্ষতিয়ে অসমৰ জনসাধাৰণৰ কঁকাল দাঙিব নোৱাৰাকৈ ভাঙি পেলাইছে। সেই ক্ষতিটো হ'ল এই যে উপৰ্য্যুপৰি আহি থকা বানপানীয়ে অসমৰ জনসাধাৰণৰ জীৱনী-শক্তি তিলে তিলে ধ্বংস কৰি আনিছে আৰু অসমীয়া সভ্যতা-সংস্কৃতিৰ ৰাজহাড় স্বৰূপ অসমীয়া খেতিয়ক সমাজখনক নিবীৰ্য্য কৰি তুলিছে। বানপানীৰ প্ৰসঙ্গতে লিখা আন এটা সম্পাদকীয় প্ৰবন্ধত আমি ইয়াৰ আগতে কৈছিলোঁ যে প্ৰকৃতিৰ বিৰুদ্ধে যুদ্ধত পৰাজিত জাতিবোৰৰ সভ্যতা-সংস্কৃতি মৰি-হজি পৃথিবীৰ পৰা লোপ পাই গৈছে। ব্ৰহ্মপুত্ৰক সোনকালে শাসনলৈ আনিব নোৱাৰিলে অসমীয়া সভ্যতা-সংস্কৃতিৰো একে দশাই হ'ব।

অখণ্ডনীয় যুক্তি আৰু তথ্যৰে এই কথা প্ৰকাশ কৰা হৈ গৈছে যে স্বাধীনতাৰ পিচৰ পৰা কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ আন সকলো ৰাজ্যতকৈ অসমকেই বেচি অৱহেলা কৰি আহিছে। দেশৰ আৰ্থিক পুনৰ্নিৰ্মাণৰ কাৰণে আজিলৈকে যিমান ধন ভঙা হৈছে তাৰ ন্যায্য ভাগ অসমে পোৱা নাই। ব্ৰহ্মপুত্ৰ নদীৰ নিয়ন্ত্ৰণৰ কাৰণে যোৱা বছৰৰ ২৩ জুনৰ দিনা ব্ৰহ্মপুত্ৰ কমিচন গঠিত হৈছিল। স্বয়ং ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে এই কমিচন সম্পৰ্কে অসমৰ মানুহৰ মনত নানা আশা জগাই তুলিছিল। কিন্তু আজি এবছৰ পাৰ হৈ গ'ল, কমিচনে ধনৰ অভাৱত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ নামত কুটা এগছো কৰিব পৰা নাই। ফলত অসমৰ মানুহৰ আশা এতিয়া গভীৰ হাতাশাত পৰিণত হৈছে। এই কথা দিনৰ পোহৰৰ দৰেই স্পষ্ট যে কেন্দ্ৰীয় চৰকাৰৰ উদাৰ অৰ্থ সাহায্যৰ অবিহনে ব্ৰহ্মপুত্ৰ নদীৰ নিয়ন্ত্ৰণৰ দৰে বিৰাট ব্যয়বহুল কাম এটা অসম চৰকাৰে কেতিয়াও সম্পন্ন কৰিব নোৱাৰে। ব্ৰহ্মপুত্ৰ নদীৰ নিয়ন্ত্ৰণৰ ভাৰ কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণভাৱে নিজৰ হাতলৈ নিব লাগিব- ইয়েই হ'ল সমস্যাটোৰ একমাত্ৰ সমাধান আৰু আমাৰো একমাত্ৰ দাবী। অৰ্থাভাৱৰ অজুহাত দেখুৱাই কেন্দ্ৰই এই দায়িত্ব পৰিহাৰ কৰি চলিব নোৱাৰিব। যোৱা ২৪ বছৰে আমি কেন্দ্ৰৰ পৰা পাবলগীয়া বহুতবোৰ বস্তুৱেই পোৱা নাই। প্ৰথম দুটা পৰিকল্পনাত অসমৰ উদ্যোগীকৰণৰ কাৰণে এটা ফুটা কড়িও খৰচ কৰা হোৱা নাই। তৃতীয় পৰিকল্পনাত বিভিন্ন ৰাজ্যত কেন্দ্ৰীয় উদ্যোগ স্থাপনৰ কাৰণে ব্যয় কৰা কেন্দ্ৰীয় পুঁজিৰ শতকৰা ১.৫ ভাগ মাত্ৰ ধন অসমৰ কাৰণে খৰচ কৰা হৈছে। গঙ্গাৰ ওপৰেদি ৮ খন দলং দিয়া হ'ল; ব্ৰহ্মপুত্ৰত দলং দিয়া হৈছে মাত্ৰ এখন। ভাৰতৰ আন প্ৰায় সকলো ৰাজ্যতে ৰেল-পৰিবহন ব্যৱস্থাৰ দ্ৰুত আধুনিকীকৰণ কৰা

হৈছে, অসমৰ বাইজে আজি অত বছৰে চিঞৰ-বাখৰ কৰিও ব্ৰডগজ লাইনডালকে ডিব্ৰুগড় পৰ্য্যন্ত দূৰৰ কথা— গুৱাহাটীলৈকে আনিব পৰা নাই। এইভাৱে আমাক বহু বছৰ ধৰি যি বঞ্চনা কৰা হ'ল এতিয়া কেন্দ্ৰই ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ভাৰ নিজৰ হাতলৈ নি তাৰেই ক্ষতি পূৰণ কৰক— এয়েই আমাৰ দাবী। আন কোনো কথা আমি নুশুনো।

এইখিনিতেই অৱশ্যে আৰু এষাৰ কথা ক'বলগীয়া আছে। পৃথিৱীৰ বিভিন্ন দেশৰ কিছুমান সমস্যা একে হ'লেও নানা অৰ্থনৈতিক আৰু সামাজিক কাৰণভেদে তাৰ সমাধানৰ পথ সুকীয়া হ'বলৈ বাধ্য। ব্ৰহ্মপুত্ৰৰ কথা উঠিলেই আমাৰ মন্ত্ৰী আৰু ইঞ্জিনীয়াৰে আমেৰিকাৰ মিচিচিপি নদীৰ কথা কয়। আমেৰিকাই বিৰাট ধন-বল আৰু উন্নত প্ৰযুক্তিবিদ্যাৰ সহায়ত যি কৌশলেৰে মিচিচিপি নদী নিয়ন্ত্ৰণ কৰিছে, তেনে কৌশল অৱলম্বন কৰাটো আৰু এশ বছৰতো আমাৰ পক্ষে সম্ভৱ নহ'ব। সেই এশ বছৰ আমি ভাগ্যক ধিয়াই বহি থাকিম নেকি? আমাৰ মানুহে সাত সাগৰৰ সিপাৰৰ চাহবৰ দেশৰ মিচিচিপি নদীৰ যিমান খবৰ ৰাখে, সেই অনুপাতে আমাৰ গাতে লাগি থকা চুবুৰীয়া চীন দেশৰ হোৱাংহো নদীৰ খবৰ বোধহয় নাৰাখে। 'চীনৰ চকুলো' নামেৰে কুখ্যাত এই নদীখনে সেই দেশত ব্ৰহ্মপুত্ৰতকৈ কম ধ্বংস লীলা কৰা নাছিল। কিন্তু চীনৰ মানুহে আপ্ৰাণ চেষ্টাৰ দ্বাৰা সেই নদী নিয়ন্ত্ৰিত কৰি পেলাইছে। তাৰ কাৰণে তেওঁলোকে বিদেশী চৰকাৰৰ ওচৰত ভিক্ষাৰ হাত পতা নাই, মিচিচিপি নদী চাবলৈ মন্ত্ৰী আৰু ইঞ্জিনীয়াৰ পঠোৱা নাই, অৰ্থাৎ ভাৰৰ অজুহাত দেখুৱাই কাম পেলাই থোৱা নাই। ভাৰতৰ লগত চীনৰ প্ৰচুৰ মিল আছে। আমাৰ দৰেই তেওঁলোকৰো জনসংখ্যা অত্যধিক, শ্ৰম সুলভ, পুঁজি কম আৰু প্ৰযুক্তিবিদ্যা আমেৰিকাতকৈ অন্ততঃ পিচপৰা। তেন্তে আমেৰিকাই মিচিচিপি নদীক কেনেকৈ শাসন কৰিছে সেই কথা জনাতকৈ চীনে হোৱাংহোক কেনেকৈ নিয়ন্ত্ৰিত কৰিলে সেই কথা জনাটো আমাৰ কাৰণে অধিক শিক্ষাপ্ৰদ আৰু লাভজনক নহ'বনে?

হোৱাংহো নদীৰ নিয়ন্ত্ৰণৰ বিষয়ে বিখ্যাত আমেৰিকান সাংবাদিক এড্‌গাৰ্ স্নোই লিখা কেইটামান প্ৰবন্ধৰ অসমীয়া ভাঙনি সাপ্তাহিক নীলাচলত অহা সংখ্যাৰ পৰা ধাৰাবাহিক ভাবে প্ৰকাশ হ'ব। আমাৰ মন্ত্ৰী, নেতা, ইঞ্জিনীয়াৰ আৰু সৰ্বসাধাৰণ ৰাইজে প্ৰবন্ধকেইটা মনোযোগ দি পঢ়া দৰকাৰ বুলি আমি ভাবোঁ। আমি প্ৰত্যেকটো কথাকে যান্ত্ৰিকভাৱে বা ধৰা-বন্ধা গতত চিন্তা কৰি নাথাকি ন ন দৃষ্টি কোণৰ পৰা চিন্তা কৰিবলৈ আৰু পৰীক্ষা কৰিবলৈ চেষ্টা কৰা উচিত। সাহসী কল্পনা আৰু সৃষ্টিশীল চিন্তা হ'ল সৰ্ব-প্ৰকাৰ উন্নতিৰ মূল চৰ্ত।

দুখন জাহাজ

আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা দুখন জাহাজ আহিব লাগিছে। এতিয়া জাহাজ দুখন মাজ সাগৰত। আৰু কেইদিনমানৰ পিচতে জাহাজ দুখন আহি পাকিস্তানৰ কৰাচী বন্দৰত উপস্থিত হ'বহি। তাৰ পিচত জাহাজ দুখনে যি পন্য সম্ভাৰ কঢ়িয়াই আনিছে সেইবোৰ কৰাচী বন্দৰত নমাই তাৰ পৰা সেইবোৰ বিমান আৰু সমুদ্ৰপথেৰে বাংলাদেশলৈ লৈ যোৱা হ'ব।

সেই জাহাজ দুখনে কি বস্তু কঢ়িয়াই আনিছে? যুদ্ধ বিধস্ত বাংলাদেশৰ কোটি কোটি গৃহহীন আৰু নিৰন্ন মানুহৰ কাৰণে মুখৰ ভাত? পিন্ধনৰ কাপোৰ? আশ্ৰয় ল'বৰ কাৰণে তম্বু। নহয়। জাহাজ দুখনে কঢ়িয়াই আনিছে পাকিস্তানৰ ক্ষীয়মান অস্ত্ৰাগাৰ পূৰ্ণ কৰিবৰ কাৰণে কামান-বন্দুক, গোলা-বাৰুদ, সৰ্বাধুনিক শক্তিশালী যত মাৰণাস্ত্ৰ। এই মুহূৰ্তত আমেৰিকাৰ দ্বাৰা পাকিস্তানক এনে নিলৰ্জ্জ আৰু অমানৱীয়ভাৱে অস্ত্ৰ যোগান দি থকাৰ এটাই মাত্ৰ অৰ্থ হ'ব পাৰে— সেইটো হৈছে এই বাংলাদেশৰ মুক্তি সংগ্ৰামীসকলক হত্যা কৰি নিঃশেষ কৰি আৰু ভাৰতৰ কান্ধত লক্ষ লক্ষ্য শৰণাৰ্থীৰ বোজাৰে দুৰ্বহ কৰি তুলি বাংলাদেশক যেন শ্মশানত পৰিণত কৰিব পৰা হয়, আৰু লগতে ভাৰতৰো অৰ্থনীতি কঁকাল দাঙিব নোৱাৰাকৈ ভাঙি দি এই দেশক চিৰকাল আমেৰিকাৰ ভিক্ষা-প্ৰাৰ্থী কৰি ৰাখিব পৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰই সদায় গণতন্ত্ৰৰ বৰাই কৰে। নিজকে তেওঁলোকে 'মুক্ত পৃথিৱী'ৰ ৰক্ষা কৰ্তা পাতি লৈ পৃথিৱীৰ সৰ্বত্ৰ গণতন্ত্ৰৰ ৰক্ষাৰ কাৰণে যুদ্ধত অৱতীৰ্ণ হয়। আজি বাংলাদেশৰ এই গৃহযুদ্ধত আমেৰিকাই কাৰ পক্ষ লৈছে? ইয়াহিয়া খানৰ এক-নায়কত্ববাদী সামৰিক চক্ৰৰ, নে মুক্ত গণতান্ত্ৰিক নিৰ্বাচনত শতকৰা নব্বৈখন আসন লাভ কৰা মুজিবুৰ ৰহমানৰ আৱামী লীগৰ? দ্বিতীয় মহাযুদ্ধৰ পিচৰ পৰা যোৱা ২৫ বছৰে এটা কথা খুব ভালকৈ প্ৰমাণ হৈ গৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নীচতা, ভণ্ডামি আৰু স্বাৰ্থপৰতাৰ কোনো তুলনা নাই। আমেৰিকাৰ মিলিটাৰী ইণ্ডাষ্ট্ৰী-কম্প্লেক্স বা সামৰিক-ঔদ্যোগিক-পাপচক্ৰৰ অন্তহীন লোভৰ গ্ৰাস পূৰ্ণ কৰিবৰ কাৰণে পৃথিৱীত এনে কোনো কাম নাই— যি কাম আমেৰিকাই কৰিব নোৱাৰে। এইখিনিতে আৰু এটা মন কৰিবলগীয়া কথা আছে। যোৱা ২৫ বছৰে আমেৰিকাৰ সকলো শক্তি-সামৰ্থ্য নিয়োজিত হৈছে কিবা নহয় কিবা এটা অজুহাতত এচিয়াৰ মানুহক হত্যা কৰাৰ কামত। কোৰিয়া, ভিয়েটনাম, বাংলাদেশ— এখন এখনকৈ এচিয়াৰ দেশবোৰত আমেৰিকাৰ লোভী, হিংস্ৰ, দুৰ্বিনীত সাম্ৰাজ্যবাদী হাত দুখন লক্ষ লক্ষ এচিয়াৰ মানুহৰ তেজেৰে ৰাঙলী। নিজৰ অপৰিমেয় ধন বলৰ অহংকাৰত আমেৰিকাই পদে পদে অন্য দেশৰ অন্য মানুহৰ আভ্যন্তৰীণ কথাত হস্তক্ষেপ কৰি যি হিংস্ৰতা আৰু ঔদ্ধত্য দেখুৱাইছে, আধুনিক পৃথিৱীত তাৰ কোনো তুলনা নাই।

এই মুহূৰ্তত পাকিস্তানলৈ আমেৰিকাৰ এই অস্ত্ৰ যোগান ভাৰতৰ জাতীয় স্বাৰ্থ আৰু মৰ্য্যাদাৰ প্ৰতি এটা বিৰাট প্ৰত্যাহ্বান। সম্প্ৰতি বহি থকা ভাৰতীয় লোকসভাই এই বিষয়টোৰ সম্পৰ্কত নিজৰ ক্ৰোধ প্ৰকাশ কৰিছে আৰু আমেৰিকাৰ অমাৰ্জনীয় কু-কাৰ্য্যৰ প্ৰতিবাদ কৰিছে। এই প্ৰতিবাদৰ ফলস্বৰূপে এই সম্পাদকীয় প্ৰকাশ হোৱাৰ আগে আগেই যদি সেই মৃত্যুবাহী জাহাজ দুখন ঘূৰি যায় সি ভালৰে কথা। যদিহে ঘূৰি

ইছাবেলৰ এটা মুহূৰ্তও নালাগিল। কাকো একো নকৈ ইছাবেলে টমাছহঁতৰ কুকুৰা ঘৰৰ ফালে ঢাপলি মেলিলে। অলপ সময়ৰ পিছতেই ইছাবেলৰ উত্তেজিত চিঞৰ শুনা গ'ল— 'টমাছ ক'ত থাকিব পাৰে মই ঠিক জানিছিলো। আহঁাচোন আহাঁ, টমাছে কি কৰি আছে চোৱাহি।'

ইছাবেলৰ চিঞৰ অনুসৰণ কৰি টমাছৰ মাক, ভায়েক-ভনীয়েক আৰু ওচৰ-চুবুৰীয়া মানুহৰ কৌতূহলী সৰু দলটো কুকুৰা-ঘৰলৈ দৌৰি গ'ল। তাত তেওঁলোকে কি দেখিলে? দেখিলে— এটা ডাঙৰ খৰাহিৰ ওপৰত টমাছে নিজৰ গাটো অকণো কাতি-কুতা নকৰাকৈ গম্ভীৰ হৈ বহি আছে।

মাকে আচৰিত হৈ সুধিলে— 'তুমি ইয়াত কি কৰিছা? খৰাহিটোৰ ওপৰত এনেকৈ বহি আছা কিয়?'

টমাছে গম্ভীৰ মুখেৰে উত্তৰ দিলে— 'মই কণী উমনি দিছো। তুমি দেখোন কৈছিলা— উমনি দিলে কণীৰ পৰা কুকুৰা পোৱালি ওলায়। মই এঘণ্টাতকৈ বেছি সময় উমনি দিছো— কিন্তু ক'তা— এটাও কুকুৰা পোৱালি ওলোৱা নাই।'

টমাছৰ কথা শুনি মাক সেইফালেই থৰ লাগিল। হাঁহিবই নে কান্দিবই তেওঁ একো ঠিক কৰিব নোৱৰা হ'ল। কণীৰ পৰা কুকুৰা পোৱালি নোলাল হয়; কিন্তু টমাছ খৰাহিটোৰ পৰা উঠি থিয় হোৱাৰ লগে লগেই দেখা গ'ল যে তেওঁৰ গাৰ ভৰত আটাইবোৰ কণী ভাগি চুৰ্মাৰ হ'ল।

টমাছ ৰেলগাড়ীৰ ফেৰিৱালা হ'ল

ইয়াৰ আগৰ এটা অধ্যায়তেই কৈ অহা হৈছে যে টমাছে কিতাপ পঢ়ি খুব ভাল পাইছিল, আৰু বাৰ বছৰ বয়স পূৰ নৌ হওঁতেই তেওঁ এড্‌ৱাৰ্ড গিবনৰ 'ডিক্লাইন এণ্ড ফল অব দ্য ৰোমান এম্পায়াৰ' আৰু ৰবাৰ্ট বাৰ্টনৰ 'এনাটমি অব মেলান্‌কলি' আদি কেৱল বয়সীয়া মানুহে পঢ়িব পৰা কিতাপবোৰ পঢ়ি শেষ কৰিছিল। কিন্তু যিজন ল'ৰা পিছলৈ বিশ্ববিখ্যাত বিজ্ঞানী আৰু উদ্ভাৱক ৰূপে পৰিচিত হ'ব, তেওঁ বাল্যকালতেই বিজ্ঞানৰ প্ৰতি আকৃষ্ট নোহোৱাটো অতি আচৰিত আৰু অস্বাভাৱিক কথা নহ'বনে?

ওপৰত উল্লেখ কৰা কিতাপবোৰৰ লগতে তেওঁ আৰু এখন কিতাপ অতি মনোযোগ দি পঢ়ি শেষ কৰিছিল। কিতাপখনৰ নাম আছিল Dictionary of Science, অৰ্থাৎ বিজ্ঞানৰ অভিধান। কিন্তু বিজ্ঞানৰ কথাবোৰ কেৱল কিতাপত পঢ়িয়েই টমাছ সন্তুষ্ট হৈ থাকিব নোৱাৰিছিল। প্ৰতিটো কথাকে নিজে পৰীক্ষা কৰি তাৰ সত্যাসত্য জানিবলৈ বা তাৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ তেওঁৰ মনত আছিল অন্তহীন কৌতূহল। টমাছে বিজ্ঞানৰ অভিধানৰ বাহিৰেও বিজ্ঞানৰ অন্যান্য কিতাপ পঢ়ি যিবোৰ কথা শিকিলে সেইবোৰ নিজে পৰীক্ষা কৰি চাবলৈ তেওঁৰ মন গ'ল। কিন্তু তাৰ কাৰণে লাগে এটা গৱেষণাগাৰ; লগতে নানাবিধৰ যন্ত্ৰপাতি আৰু কিতাপ। ইমানবোৰ বস্তু আৰু কিতাপ কিনিবলৈ তেওঁ ধন পাব ক'ৰ পৰা? আন ল'ৰা হোৱা হ'লে মাক-দেউতাকক কুতুৰি কুতুৰি ধন আদায় কৰিবলৈ চেষ্টা কৰিলেহেঁতেন। কিন্তু টমাছৰ মানসিকতা আছিল সম্পূৰ্ণ বেলেগ ধৰণৰ। ধনৰ প্ৰয়োজন অনুভৱ কৰা মাত্ৰকতে তেওঁ ধন ঘটাৰ উপায়ো চিন্তা কৰিবলৈ আৰম্ভ কৰিলে। অৱশেষত তেওঁ ঠিক কৰিলে যে গৱেষণাগাৰ স্থাপনৰ কাৰণে প্ৰয়োজন হোৱা আটাইখিনি ধন তেওঁ নিজে ব্যৱসায় কৰি উপাৰ্জন কৰিব।

তেতিয়া টমাছৰ বয়স হৈছিল মাত্ৰ বাৰ বছৰ।

টমাছহঁতৰ পৰিয়ালটো যেতিয়া অহায়ো চহৰ এৰি থৈ পৰ্ট হুৰনত স্থায়ীভাৱে বসতি কৰিবলৈ আহে, তেতিয়া টমাছৰ বয়স আছিল সাত বছৰ। সেই সময়ত পৰ্ট হুৰনৰ পৰা ডেট্ৰইট নামৰ চহৰলৈ ৰেলগাড়ী চলিবলৈ আৰম্ভ কৰিছিল। পৰ্ট হুৰনৰ ৰেল ষ্টেশ্যনটো আছিল ল'ৰা-ছোৱালীবোৰৰ আকৰ্ষণৰ এটা প্ৰধান কেন্দ্ৰবিন্দু। টমাছেও সময় পালেই ৰেল ষ্টেশ্যনলৈ গৈ তাৰ বিচিত্ৰ কৰ্ম-ব্যস্ততাৰ দৃশ্য চাই খুব ভাল পাইছিল। কিন্তু তেওঁক আটাইতকৈ বেছিকৈ আকৰ্ষণ কৰিছিল ৰেলগাড়ীখনৰ টেলিগ্ৰাফ থকা কেবিনটোৱে। টমাছহঁতৰ পৰিয়ালটো পৰ্ট হুৰনলৈ আহিছিল ১৮৫৪ খ্ৰীষ্টাব্দত। তাৰ মাত্ৰ দহ বছৰৰ আগতেহে, অৰ্থাৎ ১৮৪৪ খ্ৰীষ্টাব্দত, ছেমুৱেল মৰ্ছে উদ্ভাৱন কৰা টেলিগ্ৰাফৰ ব্যৱহাৰ আৰম্ভ হৈছিল। টমাছে ইতিমধ্যে কিতাপত টেলিগ্ৰাফৰ বিষয়ে পঢ়িছিল আৰু সেই বিদ্যাটো শিকিবলৈ তেওঁৰ মনত প্ৰবল হাবিয়াস হৈছিল। সেই কাৰণে ৰেল ষ্টেশ্যনলৈ গৈ তেওঁ সদায় টেলিগ্ৰাফ থকা কেবিনটো জুমি জুমি চাইছিল। কিন্তু টেলিগ্ৰাফৰ বিদ্যাটো শিকিবলৈ তেওঁ কোনো উপায় বিচাৰি পোৱা নাছিল।

টেলিগ্ৰাফি শিকিবলৈ সুযোগ নাপালেও টমাছে এদিন ৰেল ষ্টেশ্যনতে ধন ঘটাৰ এটা উপায় বিচাৰি পালে। প্ৰায়েই যোৱাৰ দৰে তেওঁ সেইদিনাও ৰেল ষ্টেশ্যনলৈ গৈছিল। ষ্টেশ্যন গৈ পোৱাৰ লগে লগে তেওঁৰ চকু গ'ল ষ্টেশ্যন মাষ্টৰৰ কোঠাটোৰ বেৰত আঠা লগাই থোৱা এখন জাননীলৈ। কৌতূহলৰ বশৱৰ্তী হৈ তেওঁ

কোঠাটোৰ ওচৰলৈ গৈ জাননীখন পঢ়িলে, আৰু লগে লগে তেওঁৰ সমুখত মুকলি হ'ল জীৱনৰ এটা নতুন পথ।

জাননীখনত লেখা আছিল 'প'ৰ্ট হুৰন আৰু ডেট্ৰইটৰ মাজত চলা ৰেলগাড়ীত যাত্ৰীসকলক খোৱা বস্তু বেচিবলৈ মাত্ৰ কেইজনমান বছা বছা লোকক অনুমতি-পত্ৰ দিয়া হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে প্ৰমাণ-পত্ৰসহ আবেদন কৰিব পাৰে।'

বাৰ বছৰীয়া টমাছে ভাবিলে যে তেওঁৰ গৱেষণাগাৰৰ কাৰণে প্ৰয়োজনীয় ধন ঘটিবলৈ এইটো এটা সোণালী সুযোগ। অকণো সময় নষ্ট নকৰি তেওঁ ততালিকে ফেৰিৱালাৰ অনুমতি-পত্ৰৰ কাৰণে আবেদন কৰিলে। কিন্তু এইখিনিতে এটা সমস্যাই দেখা দিলে। আবেদন-পত্ৰত তেওঁ নিজৰ বয়সৰ উল্লেখ কৰিব লগা হৈছিল। এটা বাৰ বছৰীয়া সৰু ল'ৰাক ভেণ্ডৰৰ অনুমতি-পত্ৰ দিবলৈ ৰেলৰ কৰ্তৃপক্ষ ৰাজী নহ'ল। কিন্তু টমাছো সহজে হাৰ মনা ভকত নহয়। তেওঁ নিজে গৈ বিষয়াসকলক দেখা কৰিলে আৰু কথাৰে এনেকৈ তেওঁলোকৰ মন মুহিলে যে অৱশেষত টমাছক অনুমতি-পত্ৰ দিবলৈ তেওঁলোক বাধ্য হ'ল।

এনেকৈ মাত্ৰ বাৰ বছৰ বয়সতে টমাছ এজন ব্যৱসায়ী হ'ল। ৰেলগাড়ীখন প'ৰ্ট হুৰন এৰে ৰাতিপুৱা সাত বজাত, ডেট্ৰইটৰ পৰা প'ৰ্ট হুৰনলৈ উভতনি - যাত্ৰা আৰম্ভ কৰে ৰাতি চাৰে ন বজাত। অৰ্থাৎ বাৰ বছৰীয়া অকণমানি ল'ৰাটোৱে ৰাতিপুৱা সাত বজাৰ পৰা ৰাতি চাৰে নবজালৈ প্ৰায় চৈধ্য ঘণ্টা সময় ৰেলগাড়ীত বস্তু ফেৰি কৰি ব্যস্ত হৈ থাকিব লগা হয়। কিন্তু বিশেষভাৱে মন কৰিবলগীয়া কথাটো হ'ল এই যে ল'ৰাৰ কষ্ট হ'ব বুলি ভাবি টমাছৰ মাক-দেউতাকে তেওঁক এই কাম কৰিবলৈ খুব জোৰকৈ বাধা দিয়া নাছিল। সেইবোৰ দেশত ল'ৰা-ছোৱালীক সৰুৰে পৰাই পৰিশ্ৰমী আৰু স্বাৱলম্বী হ'বলৈ শিক্ষা দিয়া হয়। উন্নতিৰ পথত সেইবোৰ দেশ বহুদূৰ আগবাঢ়ি যাব পৰাৰ ইও এটা প্ৰধান কাৰণ।

টমাছে ৰেলগাড়ীৰ যাত্ৰীসকলক কেৱল খোৱাবস্তু বিক্ৰী কৰা নাছিল। লগতে তেওঁ বাতৰি কাকতো বিক্ৰী কৰিছিল। কিছুদিনৰ ভিতৰতে দেখা গ'ল যে টমাছে প্ৰতিদিনে পাঁচ ডলাৰকৈ উপাৰ্জন কৰিব পৰা হৈছে। তাৰে এটা ডলাৰ তেওঁ নিতৌ মাকক দিবলৈ ধৰিলে— যাতে ঘৰ চলোৱা কামত মাকে অলপ সকাহ পায়। বাকী থকা চাৰি ডলাৰৰ এটা ফুটা কড়িও কিন্তু টমাছে নিজৰ বিলাসিতা বা আমোদ-প্ৰমোদৰ কাৰণে খৰচ কৰা নাছিল। আটাইখিনি ধন তেওঁ খৰচ কৰিছিল তেওঁৰ গৱেষণাৰ সঁজুলি, কিতাপ আৰু আলোচনী কিনিবৰ কাৰণে। ধন কেৱল ঘটিলেই নহয়। ধন ঘটাৰ সমানেই বা তাতোকৈ বেছিহে গুৰুত্বপূৰ্ণ কথা হ'ল সেই ধন ভাবি-চিন্তি সজ উদ্দেশ্যত খৰচ কৰিবলৈ শিকা; কষ্ট কৰি অৰ্জন কৰা ধন অবাবত খৰচ নকৰিবলৈ শিকা। জীৱনত উন্নতি কৰিব খোজা বা কৃতকাৰ্যতা অৰ্জন কৰিব খোজা সকলো মানুহেই টমাছ আলভা এডিছনৰ জীৱনৰ পৰা এই শিক্ষা ল'ব পাৰে। তেওঁৰ জীৱনৰ পৰা মানুহে ল'ব পৰা আৰু এটা মূল্যবান শিক্ষা হ'ল এই যে অবাবতে সময়ৰ অপচয় নকৰি প্ৰতিটো মুহূৰ্ত কামত লগাব পাৰিলে জীৱনত উন্নতি নহৈ নোৱাৰে। মাত্ৰ বাৰ বছৰ বয়সতে টমাছে ৰেলগাড়ীৰ ফেৰিৱালা হ'বলৈ সংকল্প লোৱা দেখি মাক-দেউতাকে তেওঁক জোৰকৈ বাধা নিদিলেও মৃদু আপত্তি নকৰাকৈ থকা নাছিল। কিন্তু টমাছে নিজৰ সংকল্পৰ সপক্ষে যুক্তি দেখুৱাই মাক-দেউতাকক ক'লে— 'মই যদি ৰেলগাড়ীৰ ফেৰিৱালা হওঁ, তেন্তে একেলগতে মোৰ দুটা লাভ হ'ব। প্ৰথমতে, মই নিজে কষ্ট কৰি ধন ঘটি স্বাৱলম্বী হ'বলৈ শিকিম। দ্বিতীয়তে, ডেট্ৰইট চহৰৰ পুথিভঁৰালত থকা আটাইবোৰ কিতাপ পঢ়িবলৈ মই সুযোগ পাম। প'ৰ্ট' হুৰনৰ পুথিভঁৰালত থকা আটাইবোৰ কিতাপ পঢ়ি মই শেষ কৰিলো। প'ৰ্ট হুৰনৰ পৰা ডেট্ৰইটলৈ যোৱা ৰেলগাড়ীখন তাৰ পৰা ঘূৰি অহাৰ আগতে তাত কেইঘণ্টামান থাকিব। সেইখিনি সময় মই তাৰ পুথিভঁৰালত কিতাপ পঢ়ি কটাম। ৰেলগাড়ীৰ ফেৰিৱালা হোৱাৰ ফলত এনেকৈ একেলগতে মোৰ দুটা লাভ হ'ব।'

ৰেলগাড়ীত ফেৰি কৰি কৰি ভাগৰ লগাৰ পিছত আন বহুতো ল'ৰাই হয়তো হাতত অলপ সময় পালেই জিৰণি ল'বলৈ বা ফূৰ্তি-চাকি কটাবলৈ ভাল পালেহেঁতেন। কিন্তু টমাছে সেই সময়খিনিবো সদ্ব্যৱহাৰ কৰিছিল পুথিভঁৰালত কিতাপ পঢ়ি।

ফেৰিৱালা টমাছ্ সাংবাদিক হ'ল

টমাছে কেৱল সময়ৰে সদ্ব্যৱহাৰ কৰা নাছিল; তেওঁ মগজৰো উপযুক্ত সদ্ব্যৱহাৰ কৰিছিল। বেছিভাগ মানুহেই চিন্তা কৰিবলৈ ভাল নাপায়। চিন্তাও এটা শাৰীৰিক পৰিশ্ৰম। মাজৰ পৰিশ্ৰম। পৰিশ্ৰম কৰি ভাল নোপোৱা মানুহে পৰিশ্ৰম। মগজৰ পৰিশ্ৰম। পৰিশ্ৰম কৰি ভাল নোপোৱা মানুহে শাৰীৰিক পৰিশ্ৰম যিমান বেয়া পায়, তাতোকৈ বেছি বেয়া পায় মগজৰ পৰিশ্ৰম। টমাছ আলভা এডিছনে নিজেই পিছৰ জীৱনত কিবা এটা প্ৰসঙ্গত কৈছিল— 'মগজৰ পৰিশ্ৰম পৰিহাৰ কৰি চলিবলৈ মানুহে কৰিব নোৱৰা কাম একো নাই।'

টমাছৰ স্বভাৱ আছিল ঠিক তাৰ বিপৰীত। তেওঁৰ মগজটো আছিল প্ৰতি মুহূৰ্ততেই সক্ৰিয়। সেই কাৰণে জীৱনত উন্নতি বা কৃতকাৰ্যতাৰ কোনো সুযোগ তেওঁৰ তীক্ষ্ণ দৃষ্টিৰ পৰা পলাই সাৰিব নোৱাৰিছিল।

টমাছে যি সময়ত ৰেলগাড়ীত ফেৰিৱালাৰ কাম কৰিছিল সেই সময়ত আমেৰিকাত গৃহ-যুদ্ধ চলি আছিল। এই গৃহ-যুদ্ধখন আছিল আমেৰিকাৰ বুৰঞ্জীৰ এটা অতি ডাঙৰ ঘটনা। আমেৰিকা যুক্তৰাষ্ট্ৰ বুলি ক'লে আমি যিখন দেশক বুজি পাওঁ সেই দেশখন ঘাইকৈ দুটা ভাগত বিভক্ত ঃ উত্তৰ অঞ্চল আৰু দক্ষিণ অঞ্চল। উত্তৰ অঞ্চলৰ ৰাজ্যকেইখনে আমেৰিকাত বহু বছৰ ধৰি চলি থকা দাস-প্ৰথাৰ বিলোপ-সাধন কৰিছিল। কিন্তু দক্ষিণ অঞ্চলৰ ৰাজ্যকেইখনে সেইটো কৰিবলৈ অমান্তি হৈছিল। সেইটোৱেই আছিল দুয়োটা অঞ্চলৰ বিৰোধৰ প্ৰধান কাৰণ। তাৰ লগতে অৱশ্যে আৰু কেইটামান কাৰণো যোগ হৈছিল। যুক্তৰাষ্ট্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ— এই দুটা চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ-বাটোৱাৰা কেনেকৈ হ'ব তাকে লৈয়ো তিক্ত মতানৈক্য আৰু বাদানুবাদৰ সৃষ্টি হৈছিল। অৱশেষত পৰিস্থিতি এনেকুৱা হৈছিল যে দক্ষিণৰ কে'বাখনো ৰাজ্যই যুক্তৰাষ্ট্ৰৰ পৰা ফাটি গৈ স্বাধীনতা ঘোষণা কৰিছিল। ঠিক তেনে সময়তে আমেৰিকাৰ উত্তৰ আৰু দক্ষিণ অঞ্চলৰ মাজত গৃহ-যুদ্ধ আৰম্ভ হ'ল। ১৮৬১ খ্ৰীষ্টাব্দত আৰম্ভ হোৱা এই গৃহ-যুদ্ধ ১৮৬৫ খ্ৰীষ্টাব্দলৈকে চলিছিল। গৃহ-যুদ্ধৰ সময়ত আমেৰিকাৰ ৰাষ্ট্ৰপতি আছিল আব্ৰাহাম লিংকন। তেওঁকেই আমেৰিকাৰ সৰ্বশ্ৰেষ্ঠ ৰাষ্ট্ৰপতি বুলি বুৰঞ্জীয়ে স্বীকাৰ কৰি লৈছে। গৃহ-যুদ্ধত অৱশেষত আব্ৰাহাম লিংকনৰ নেতৃত্বাধীন যুক্তৰাষ্ট্ৰীয় চৰকাৰ বিজয়ী হ'ল আৰু আমেৰিকাৰ অখণ্ডতা ৰক্ষা পৰিল। কিন্তু ভাৰত স্বাধীন হোৱাৰ পিছতহে যেনেকৈ জাতিৰ জনক মহাত্মা গান্ধী আততায়ীৰ হাতত নিহত হ'ল, ঠিক তেনেকৈ আমেৰিকাৰ গৃহ-যুদ্ধত যুক্তৰাষ্ট্ৰীয় চৰকাৰ বিজয়ী হোৱাৰ পিছ মুহূৰ্ততে জাতিৰ ত্ৰাণকৰ্তা আব্ৰাহাম লিংকনে আততায়ীৰ গুলিত প্ৰাণ হেৰুৱাব লগা হ'ল।

যুদ্ধ-বিগ্ৰহ চলি থকাৰ সময়ত স্বাভাৱিকতেই বাতৰি কাকতৰ বিক্ৰীও বেচি হয়, কাৰণ যুদ্ধৰ জয়-পৰাজয়ৰ খবৰ পাবলৈ মানুহ উন্মুখ হৈ থাকে। তাতে আমেৰিকাৰ গৃহ-যুদ্ধ আছিল এটা জাতিৰ জীৱন-মৰণৰ সমস্যা। সেই কাৰণে বাতৰি কাকতৰ চাহিদা সেই সময়ত দিনে দিনে বৃদ্ধি পাইছিল। বাতৰি কাকতৰ ফেৰিৱালা টমাছে এদিন বিক্ৰীৰ কাৰণে এজাপ বাতৰি কাকত হাতত লৈয়েই লক্ষ্য কৰিলে যে শিলহ নামৰ ঠাইত চলি থকা যুদ্ধৰ বাতৰিয়ে, ডাঙৰ ডাঙৰ আখৰেৰে কাকতখনৰ প্ৰথম পৃষ্ঠাৰ প্ৰায় গোটেইখিনি ঠাই দখল কৰিছে। বুদ্ধিমান টমাছে তৎক্ষণাত বুজি পালে যে সেইদিনা বাতৰি কাকতৰ চাহিদা সাংঘাতিকভাৱে

বৃদ্ধি পাব। খণ্ডেকো নৰৈ তেওঁ ডেট্ৰইট ফ্ৰী প্ৰেছ নামৰ বাতৰি কাকতখনৰ কাৰ্যালয়লৈ ঢাপলি মেলিলে আৰু কাকতখনৰ এহেজাৰটা কপি বেছিকৈ খুজিলে। নিজৰ সততাৰ কাৰণে টমাছ ইতিমধ্যে সকলোৰে বিশ্বাস-ভাজন হৈছিল। টমাছৰ অনুৰোধ শুনি বাতৰি কাকতখনৰ গৰাকীসকল আচৰিত হৈছিল যদিও তেওঁলোকে বিনাবাক্য-ব্যয়ে টমাছক এহেজাৰ অতিৰিক্ত কপি দি দিলে।

ৰেলগাড়ীখনৰ টেলিগ্ৰাফাৰসকলৰ লগত ইতিমধ্যেই টমাছৰ বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠিছিল। টমাছৰ অনুৰোধ ৰক্ষা কৰি টেলিগ্ৰাফাৰসকলে আগৰ আটাইবোৰ ষ্টেশ্যনলৈ টেলিগ্ৰাফ কৰি এই বুলি খবৰ পঠিয়ালে যে শ্বিলহৰ যুদ্ধৰ প্ৰথম বাতৰি কঢ়িয়াই অনা বাতৰি কাকতখন কেৱল টমাছৰ হাততহে আছে। ফলত প্ৰত্যেকটো ৰেল ষ্টেশ্যনতে টমাছৰ বাতৰি কাকতৰ কাৰণে অপেক্ষা কৰি মানুহে জুম বান্ধিবলৈ ধৰিলে। টমাছৰ হাতত যিমান বাতৰি কাকত আছিল তাতকৈ গ্ৰাহকৰ সংখ্যা বহুগুণে বেছি হ'ল। বুদ্ধিমান টমাছে তৎক্ষণাত কাকতৰ দাম বঢ়াই দিলে। গ্ৰাহকৰ হেঁচাত পৰি কাকতৰ দাম ক্ৰমাৎ বঢ়াওঁতে বঢ়াওঁতে এক চেণ্ট দামৰ কাকতখন অৱশেষত পয়ত্ৰিশ চেণ্টত বেচিব লগা হ'ল। মাত্ৰ এদিনৰ ভিতৰতে টমাছৰ লাভৰ পৰিমাণ হ'ল এশ ডলাৰ।

তেতিয়া টমাছৰ বয়স হৈছিল মাত্ৰ পোন্ধৰ বছৰ।

ইমান দিনলৈকে টমাছ আছিল কেৱল বাতৰি কাকতৰ ফেৰিবালা। কিন্তু এতিয়া তেওঁ নিজে বাতৰি কাকতৰ মালিক হ'বলৈকো মন মেলিলে। ৰেলগাড়ীত এহা-যোৱা কৰি থাকোতেই তেওঁ এদিন কাৰোবাৰ মুখত শুনিবলৈ পালে যে কোনোবা এজন মানুহে এটা ছেকেণ্ড-হেণ্ড ছপা-যন্ত্ৰ বিক্ৰী কৰিব খুজিছে। টমাছে মানুহজনৰ ওচৰলৈ গৈ দৰ-ভাও কৰি ছপা-যন্ত্ৰটো কিনিলে। ছপা-যন্ত্ৰৰ গৰাকী হৈয়েই তেওঁ ৰেলগাড়ীৰ কোঠাতে অফিচ পাতি সাপ্তাহিক হেৰাল্ড নামৰ এখন বাতৰি কাকত প্ৰকাশ কৰিলে। বাতৰি কাকতখনৰ সম্পাদক, প্ৰতিবেদক, প্ৰুফ ৰীডাৰ, কম্পোজিটৰ, বিক্ৰেতা— এই সকলো আছিল মাত্ৰ এজন মানুহ ঃ টমাছ আলভা এডিছন। চলন্ত ট্ৰেইনত অফিচ পাতি লৈ তাৰ পৰাই এখন বাতৰি কাকত প্ৰকাশ কৰাৰ ঘটনাটো ইমান অভিনৱ আৰু অবিশ্বাস্য আছিল যে এজন ইংৰাজ পৰ্যটকে আমেৰিকা-ভ্ৰমণৰ অন্তত লণ্ডনলৈ ঘূৰি আহি বিখ্যাত টাইমছ কাকতৰ সম্পাদকক কথাটো জনালে। ফলত টাইমছত টমাছৰ এই অভূতপূৰ্ব কৃতিত্বৰ কাহিনী সবিস্তাৰে প্ৰকাশ হ'ল।

টমাছৰ গৱেষণাগাৰ

টমাছৰ ধন ঘটাৰ মূল উদ্দেশ্য আছিল এটা গৱেষণাগাৰ গঢ়ি তোলা। ইতিমধ্যে তেওঁৰ হাতলৈ যথেষ্ট ধন আহিল। কিন্তু তেওঁৰ নিজৰ ঘৰত গৱেষণাগাৰটো স্থাপন কৰাৰ কোনো প্ৰশ্নই এতিয়া উঠিব নোৱৰা হ'ল, কাৰণ তেওঁ ঘৰত মাত্ৰ ৰাতি শুবলৈহে আহে। গোটেই দিনটো অতিবাহিত হয় ৰেলগাড়ীত। ক'বলৈ গ'লে ৰেলগাড়ীখনেই হৈ উঠিছিল তেওঁৰ দ্বিতীয় ঘৰ। গতিকে হাতলৈ যেতিয়া যথেষ্ট ধন আহিল তেতিয়া টমাছে ৰেলগাড়ীৰ এটা কোঠাতে নিজৰ গৱেষণাগাৰ পাতিবলৈ ঠিক কৰিলে। ৰেলগাড়ীখনৰ কণ্ডাক্টৰ ষ্টিফেনছনৰ লগত ইতিমধ্যে তেওঁৰ ভাল বন্ধুত্ব গঢ়ি উঠিছিল। গৱেষণাগাৰ পাতিবলৈ টমাছে তেওঁৰ পৰা অনুমতি বিচৰাত ষ্টিফেনছনে ক'লে— 'বিজ্ঞান আৰু বৈজ্ঞানিক গৱেষণাৰ প্ৰতি তোমাৰ অনুৰাগ দেখি মই বৰ ভাল পাইছো। কিন্তু গৱেষণাগাৰ পাতিবৰ কাৰণে মই অকলে তোমাক অনুমতি দিব নোৱাৰো। মোৰ ওপৰৱালাসকলৰ লগতো এই বিষয়ে আলোচনা কৰিব লাগিব। কিন্তু অনুমতি পোৱাত যাতে তোমাৰ কোনো অসুবিধা নহয় তাৰ কাৰণে মই চেষ্টা কৰিম।'

অনুমতি পোৱাত সঁচাকৈয়ে টমাছৰ একো অসুবিধা নহ'ল। টমাছে কথাৰে সকলোকে মৰম লগাব জানিছিল; নিজৰ সততা আৰু নম্ৰতাৰে সকলোকে মুগ্ধ কৰিব পাৰিছিল। কোনো মানুহেই অকলে একো কাম কৰিব নোৱাৰে। সৰু-বৰ যিকোনো কাম কৰিবলৈ আনৰ সহায়-সহযোগিতাৰো প্ৰয়োজন হয়। সৎ আৰু মধুৰ স্বভাৱৰ অধিকাৰী মানুহৰ পক্ষে আনৰ সহায়-সহযোগিতা পোৱা বেছি সহজ হয়। টমাছ আছিল এনে এজন মানুহ।

গৱেষণাগাৰ পাতিবলৈ অনুমতি পোৱাৰ লগে লগে এটা মুহূৰ্তও অপচয় নকৰি টমাছে নিজৰ ঘৰৰ গৱেষণাৰ সঁজুলি আৰু ৰাসায়নিক দ্ৰব্যবোৰ ৰেলগাড়ীলৈ আনি এটা মালৰ দবাৰ এচুকত নিজৰ গৱেষণাগাৰ স্থাপন কৰিলে। টমাছ আলভা এডিছনেই পৃথিৱীৰ একমাত্ৰ মানুহ— যিজনে বাতৰি কাকত সম্পাদনা কৰিছিল চলন্ত ৰেলগাড়ীত, বৈজ্ঞানিক গৱেষণা কৰিছিল চলন্ত ৰেলগাড়ীত।

টমাছৰ বহুদিনৰ হেঁপাহ এতিয়া পূৰ্ণ হ'ল। তেওঁৰ নিজৰ এটা গৱেষণাগাৰ হ'ল। বাতৰি কাকত সম্পাদনা কৰাৰ লগে লগে তেওঁ গভীৰ মনোযোগেৰে গৱেষণাগাৰত নানা প্ৰকাৰৰ বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আৰম্ভ কৰিলে। ওপৰতেই এবাৰ কোৱা হৈছে যে টমাছে ৰেলগাড়ীৰ ফেৰিৱালাৰ কামটো ল'ব বিচৰাৰ দ্বিতীয় প্ৰধান উদ্দেশ্য আছিল ডেট্ৰইট চহৰত কিতাপ পঢ়াৰ সুযোগ গ্ৰহণ কৰা। ডেট্ৰইট চহৰত এটা ডাঙৰ পুথিভঁৰাল আছিল। টমাছে মাচুল দি সেই পুথিভঁৰালৰ সদস্য হ'ল। পুথিভঁৰাললৈ গৈ তেওঁ দেখিলে— তাত নানা ভাষাত লিখা বিজ্ঞানৰ বহুতো কিতাপ আছে। কিন্তু সেই কিতাপবোৰ তেওঁ কেনেকৈ পঢ়িব— যদিহে তেওঁ সেই ভাষাবোৰ নিশিকে? টমাছৰ জ্ঞানৰ প্ৰতি অনুৰাগ ইমান তীব্ৰ আছিল যে ইংৰাজীৰ উপৰিও অন্যান্য ভাষাত লিখা কিতাপ পঢ়াৰ লোভত তেওঁ ফৰাচী আৰু লেটিন ভাষা শিকিবলৈ আৰম্ভ কৰিলে!

ইয়াকেই কয় জীৱনৰ সাধনা। আৰ্থিকভাৱে স্বাৱলম্বী হ'বলৈ মন কৰি মাত্ৰ বাৰ বছৰ বয়সতে ৰেলগাড়ীৰ ফেৰিৱালা হোৱা ল'ৰাটোৱে কাৰো পৰা সহায় নোলোৱাকৈ সম্পূৰ্ণ একক প্ৰচেষ্টাৰে বাতৰি কাকত উলিয়াইছে; চলন্ত ৰেলগাড়ীত গৱেষণাগাৰ পাতি লৈ বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা কৰিছে; ফেৰিৱালাৰ ব্যৱসায়ৰ মাজতে সময় উলিয়াই পুথিভঁৰালত বহি ঘণ্টাৰ পিছত ঘণ্টা কিতাপ পঢ়িছে। কিন্তু ইমানতো তেওঁ ক্ষান্ত হোৱা নাই। নিজৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ তেওঁ ফৰাচী আৰু লেটিন ভাষা শিকিবলৈ আৰম্ভ কৰিছে! এই

গোটেইবোৰ কাম কৰিবলৈ তেওঁক মাক-দেউতাক বা আন কোনেও তেওঁক বাধ্য কৰা নাই বা তেওঁক বাট দেখুওৱা নাই। এই গোটেইবোৰ কামৰ প্ৰেৰণা আহিছে তেওঁৰ নিজৰ অন্তৰৰ পৰা, কাৰণ তেওঁ জীৱনৰ এটা লক্ষ্য ঠিক কৰি লৈছে, আৰু সেই লক্ষ্য অভিমুখে আগবাঢ়িবলৈ তেওঁৰ মনত আছে দৃঢ় সংকল্প।

টমাছৰ পৰিকল্পনা অনুযায়ী ইমান দিনে সকলো কথা ঠিকভাৱেই আগবাঢ়িছিল। কিন্তু তেওঁৰ গৱেষণাগাৰে এদিন তেওঁৰ কাৰণে এটা ডাঙৰ সমস্যাৰ সৃষ্টি কৰিলে।

গৱেষণাৰ কাৰণে স্বাভাৱিকতেই টমাছক বহুতো ৰাসায়নিক দ্ৰব্যৰ দৰকাৰ হৈছিল, আৰু তেওঁৰ গৱেষণাৰ মেজত ৰাসায়নিক দ্ৰব্যৰ বটলবোৰ শাৰী শাৰীকৈ সজাই থোৱা আছিল। এদিন তেওঁ গৱেষণাৰ কামত মগ্ন হৈ থাকোতে হঠাৎ এটা বটল মজিয়াত পৰি ভাগি টুকুৰা-টুকুৰ হ'ল। বটলটোত আছিল ফচফৰাচ। ফচফৰাচ নামৰ এই ৰাসায়নিক দ্ৰব্যটো হেনিং ব্ৰাণ্ড নামৰ এজন বৈজ্ঞানিকে ১৬৭৪ খ্ৰীষ্টাব্দতে আৱিষ্কাৰ কৰিছিল। সাৰ, চাবোন, কীটনাশক বিষ আৰু নানাবিধৰ ঔষধ প্ৰস্তুত কৰাৰ কামত ফচফৰাচ ব্যৱহাৰ কৰা হয়। বতাহৰ সংস্পৰ্শলৈ অহা মাত্ৰে ফচফৰাচ আপোনা-আপুনি জ্বলি উঠে। টমাছৰ গৱেষণাগাৰৰ মজিয়াত তেওঁৰ বাতৰি কাকতৰ এটা দ'ম পৰি আছিল। ফচফৰাচৰ বটলটো মজিয়াত পৰাৰ লগে লগে তাৰ পৰা ওলোৱা জুই বাতৰি কাকতৰ দমটোলৈকো বিয়পি পৰিল আৰু কাগজবোৰ দপ্‌দপাই জ্বলি উঠিল। গোটেই ঘটনাটো ইমান অকস্মাতে ঘটি গ'ল যে জুই নুমুৱাবলৈ টমাছে কৰা সকলো চেষ্টা ব্যৰ্থ হ'ল।

সেই একেটা ডবাৰে আনটো মূৰত বহি আছিল ষ্টিফেনছন— ৰেলগাড়ীখনৰ কণ্ডাক্টৰ। ঘাইকৈ তেওঁৰ সহায়তেই টমাছৰ পক্ষে গৱেষণাগাৰটো স্থাপন কৰা সম্ভৱ হৈছিল। দূৰৰ পৰা দপ্‌দপাই জ্বলি উঠা জুইকুৰা দেখি ষ্টিফেনছনৰ মনত প্ৰথমে ভাব হ'ল যে টমাছে কৰা বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাবোৰৰ ফল স্বৰূপে এনেকৈ জুই বোধহয় লাগেই। কিন্তু জুইকুৰা দেখি তেওঁৰ মনত কিছু দুশ্চিন্তাও হ'ল। জুই যদি গোটেই ট্ৰেইনখনলৈকে বিয়পি পৰি যাত্ৰীসকলৰ কাৰণে বিপদৰ সৃষ্টি কৰে তেন্তে তাৰ কাৰণে ঘাইকৈ তেৱেঁই জগৰীয়া হ'ব লাগিব, কাৰণ টমাছক গৱেষণাগাৰ স্থাপন কৰাৰ কাৰণে অনুমতি দিবলৈ তেৱেঁই চুপাৰিছ কৰিছিল। ষ্টিফেনছনে এইবোৰ কথা ভাবি থাকোতেই হঠাৎ এবাৰ তেওঁৰ চকুত পৰিল— টমাছে গাৰ কোটটো খুলি তাৰে জুইকুৰা হেঁচি ধৰি প্ৰাণ-পণে জুই নুমুৱাবলৈ চেষ্টা কৰিছে। ষ্টিফেনছনৰ বুজিবলৈ বাকী নাথাকিল যে জুই জ্বলাটো এটা আকস্মিক দুৰ্ঘটনাহে; টমাছৰ গৱেষণাৰ কাৰণে জুইৰ প্ৰয়োজন হোৱা নাই।

ষ্টিফেনছনে দৌৰি গৈ টমাছৰ লগ লাগি কোনোমতে জুইকুৰা নুমুৱালে কিন্তু টমাছৰ ওপৰত তেওঁৰ ইমান খং উঠিল যে খঙৰ ভমকতে তেওঁ টমাছৰ কাণৰ কাষত জোৰকৈ ঘোচা এটা মাৰি দিলে। তদুপৰি তেওঁ টমাছৰ গৱেষণাগাৰৰ আটাইবোৰ বস্তু এপদ এপদকৈ বাহিৰলৈ দলিয়াই দিলে। পৰা হ'লে তেওঁ টমাছৰ ছপা যন্ত্ৰটোও বাহিৰলৈ দলিয়াই দিলেহেঁতেন; কিন্তু যন্ত্ৰটো ইমান গধুৰ আছিল যে সেইটো দাঙি বাহিৰলৈ দলিয়াই দিয়াটো তেওঁৰ পক্ষে সম্ভৱ নহ'ল। কেৱল সেই কাৰণেই টমাছৰ ছপা-যন্ত্ৰটো ৰক্ষা পৰিল। কিন্তু সিও কেৱল অলপ সময়ৰ কাৰণেহে। কাৰণ ষ্টিফেনছনে টমাছক স্পষ্টকৈ শুনাই দিলে যে এতিয়াৰ পৰা সেইখন ৰেলগাড়ীত টমাছৰ কাৰণে ঠাই নহ'ব; সকলো বস্তু-বাহানি সামৰি লৈ তেওঁ পিছৰ ষ্টেশ্যনটোতে নামি যাব লাগিব। কথা মতে কাম। ৰেলগাড়ীখন যেতিয়া পিছৰ ষ্টেশ্যনত ৰ'ল, ষ্টিফেনছনে নিজেই কেইজনমান পৰ্টাৰ মাতি আনি টমাছৰ ছপা-যন্ত্ৰটো আৰু আধা-পোৰা কাগজৰ জাপটো ষ্টেশ্যনৰ প্লেটফৰ্মত নমাই দিলে। কোৱা বাহুল্য মাত্ৰ যে টমাছৰ সাংবাদিক-জীৱনৰ ইমানতে সামৰণি পৰিল। কিন্তু ৰেলগাড়ীৰ কণ্ডাক্টৰজনে তেওঁৰ অকণমানি গৱেষণাগাৰটো লণ্ডভণ্ড কৰি বাহিৰলৈ দলিয়াই দিলে যদিও সেই ঘটনাই তেওঁৰ গৱেষণাৰ সামৰণি পেলাব নোৱাৰিলে। তেওঁৰ জন্মই হৈছিল গৱেষণাৰ কাৰণে। সেই গৱেষণা চলি থাকিল তেওঁৰ সমস্ত জীৱন জুৰি, একেবাৰে শেষ মুহূৰ্ত পৰ্যন্ত।

ষ্টিফেন্সনে টমাছৰ কাণত জোৰকৈ ঘোচা মৰাত কাণত বেয়াকৈ আঘাত লাগিছিল। কিন্তু কেৱল সেইটোৱেই তেওঁৰ কাণত শেষ আঘাত নাছিল। ইয়াৰ কিছুদিনৰ পিছতে টমাছ আকৌ এটা দুৰ্ঘটনাৰ সন্মুখীন হ'ল— যাৰ ফলত তেওঁৰ শ্ৰৱণ-শক্তি বহু পৰিমাণে নষ্ট হ'ল, আৰু তেওঁ ক্ৰমাৎ বধিৰ হ'বলৈ ধৰিলে।

ঘটনাটো ঘটিছিল এনেকৈ। টমাছৰ বাতৰি কাকতখনৰ প্ৰকাশ বন্ধ হৈ গৈছিল যদিও তেওঁ ৰেলগাড়ীত বাতৰি কাকত বিক্ৰী কৰা কামটো বন্ধ কৰিব লগা হোৱা নাছিল। এদিন ৰেলগাড়ীখন এটা ষ্টেশ্যনত অলপ সময় ৰওঁতে টমাছে ৰেলগাড়ীৰ পৰা নামি প্লেটফৰ্মত বাতৰি কাকত বিক্ৰী কৰিবলৈ ধৰিলে। ইফালে ৰেলগাড়ীখন যে আকৌ চলিবলৈ আৰম্ভ কৰিছে তালৈ টমাছৰ ভ্ৰূক্ষেপেই নাছিল। ৰেলগাড়ীৰ চলন্ত চকাৰ শব্দ শুনি টমাছে যেতিয়া সেইফালে লক্ষ্য কৰিলে— সিমান পৰে ৰেলগাড়ীখন জোৰেৰে চলিবলৈ আৰম্ভ কৰিছে। টমাছে উধাতু খাই দৌৰি গৈ এটা ডবাৰ দুৱাৰৰ হেণ্ডেলত কোনোমতে খামুচি ধৰিলে হয়, কিন্তু বাওঁহাতখনত বাতৰি কাকতৰ ডাঙৰ টোপোলাটো থকাৰ কাৰণে তেওঁ দুৱাৰখন ঠেলি ডবাৰ ভিতৰলৈ সোমাব নোৱাৰিলে। দুৱাৰৰ হেণ্ডেলত ধৰি তেওঁ ওলমি ৰ'ল; ইফালে ৰেলগাড়ীখন খুব জোৰেৰে চলিবলৈ আৰম্ভ কৰিলে। প্ৰাণৰ ভয়ত সোঁ-হাতখনেৰে খুব জোৰেৰে দুৱাৰৰ হেণ্ডেলত ধৰি থকাৰ ফলত টমাছে হাতখন অসাৰ হৈ পৰা যেন অনুভৱ কৰিলে। যিকোনো মুহূৰ্ত্ততে চলন্ত ৰেলগাড়ীৰ পৰা পৰি হাড়-মূৰ ভাগিব পাৰে বুলি তেওঁৰ মনত ভয় সোমাল। অৱশেষত ভয়ত কাতৰ হৈ তেওঁ চিঞৰিবলৈ ধৰিলে।

টমাছৰ চিঞৰ শুনি ৰেলগাড়ীত কাম কৰা এজন শকত-আবত বলৱান নিগ্ৰো ডেকা দৌৰি আহিল। টমাছৰ দুয়োখন হাতেই বন্দী হৈ আছিল; হাতত ধৰি টানি তেওঁক ডবাৰ ভিতৰলৈ সোমোৱাবলৈ কোনো উপায় নাছিল। সেই কাৰণে নিগ্ৰোজনে টমাছৰ কাণত ধৰি টানি তেওঁক ভিতৰলৈ সোমোৱালে। টমাছৰ জীৱন ৰক্ষা পৰিল হয়; কিন্তু মাত্ৰ এখন কাণত ধৰি গোটেই মানুহটোক টানিব লগা হোৱাৰ ফলত তেওঁৰ কাণৰ পৰ্দা ফাটি গ'ল। সেইখন কাণৰ শুনা শক্তি সমূলি নষ্ট পালে। ইয়াৰ পিছত টমাছ ক্ৰমাৎ বেছিকৈ বধিৰ হ'বলৈ ধৰিলে আৰু অৱশেষত তেওঁ শ্ৰৱণ-শক্তি সম্পূৰ্ণভাৱে হেৰুৱাই পেলালে।

এই পুথিখনৰ প্ৰথম অধ্যায়তেই কোৱা হৈছিল যে টমাছ আলভা এডিছনৰ বিৰাট গৱেষণাগাৰটো যেতিয়া জুইয়ে পুৰি ছাইত পৰিণত কৰিছিল, তেওঁ সেইটোক বিপৰ্যয় বা দুৰ্ভাগ্য বুলি ভবাৰ পৰিবৰ্তে জীৱনটোক নতুনকৈ আৰম্ভ কৰিবলৈ এটা সুযোগ বুলিহে গ্ৰহণ কৰিছিল। তেওঁ কৈছিল— 'জুইয়ে কেৱল মোৰ গৱেষণাগাৰটো পুৰি পেলোৱা নাই; লগতে সি পুৰি পেলাইছে মোৰ অতীতৰ ভুলবোৰো।' ঠিক সেইদৰে শ্ৰৱণ-শক্তি হেৰুৱাই পেলোৱাৰ কাৰণেও দুখ প্ৰকাশ কৰাৰ পৰিবৰ্তে তেওঁ বৰং কৈছিল— 'কাণেৰে নুশুনাৰ ফলত মোৰ উপকাৰেই হৈছে। মই যিহেতু কাণেৰে নুশুনো সেইকাৰণে একোৱেই মোৰ মনোযোগ ভঙ্গ কৰিব নোৱাৰে। ফলত মই মোৰ কামৰ প্ৰতি অখণ্ড মনোযোগ দিব পাৰো।'

ধৈৰ্যশীল আৰু আত্ম-বিশ্বাসী মানুহে এনেকৈয়ে সকলো অসুবিধাক সুবিধালৈ আৰু দুৰ্ভাগ্যক সৌভাগ্যলৈ ৰূপান্তৰিত কৰিব পাৰে।

মেঘালয়ৰ চৰকাৰী নেতাসকলে উত্তৰ-পূব আঞ্চলিক পৰিষদৰ আঁচনিখন প্ৰায় আঁকোৱালি লৈছিল, সেই সময়তে নাগালেণ্ডৰ চৰকাৰে কিন্তু এই আঁচনিক দৃঢ়ভাবে প্ৰত্যাখ্যান কৰিছিল। পাৰ্লিয়ামেণ্টত এই বিষয়টোৰ আলোচনা হওঁতে গৃহ মন্ত্ৰীয়ে নাগালেণ্ডৰ বিৰোধিতাৰ কাৰণটো অতি সামান্য আৰু উপৰুৱা বুলি পাতল কৰি দিবলৈ চেষ্টা কৰিছিল। নাগালেণ্ডৰ প্ৰতিনিধি শ্ৰীভেৰোৱে তেতিয়া উঠি গৃহ মন্ত্ৰীৰ এই ব্যাখ্যা ভুল বুলি প্ৰমাণ কৰি দিলে, আৰু নাগলেণ্ডে উত্তৰ-পূব আঞ্চলিক পৰিষদত যোগ দিব নোখোজাৰ কাৰণ যে অতি গভীৰ আৰু মৌলিক সেইকথা পৰিষ্কাৰ কৰি দিলে। স্বাধীনতা-প্ৰিয় আৰু ৰাজনীতি-সচেতন নাগাসকলে আৰম্ভণিৰে পৰাই বুজি পাইছিল যে নিজৰ ৰাজনৈতিক মৰ্য্যাদা বিসৰ্জন নিদিয়াকৈ কাৰো পক্ষে এই পৰিষদত যোগ দিয়া সম্ভৱ নহয়, আৰু তথাকথিত উত্তৰ-পূব আঞ্চলিক পৰিষদখন পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ গণতান্ত্ৰিক আৰু সাংবিধানিক অধিকাৰ সঙ্কুচিত কৰিবলৈ কেন্দ্ৰৰ এটা চতুৰ কৌশল মাত্ৰ। নাগালেণ্ডে আৰম্ভণীৰে পৰাই যি বিৰোধিতা আৰম্ভ কৰিলে সেই বিৰোধিতাত তেওঁলোক আজিও অবিচলিত হৈ আছে। এই ঘটনাই প্ৰমাণ কৰিছে যে পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্য আৰু উপৰাজ্যৰ ভিতৰত নাগা নেতাসকলৰেই ৰাজনীতি জ্ঞান, দেশ-প্ৰেম আৰু আত্ম-সন্মানবোধ আন সকলোতকৈ বেচি। আনসকলে এইবোৰ গুণ তেওঁলোকৰ পৰা শিকিবলৈ চেষ্টা কৰা উচিত।

আমি প্ৰস্তাৱিত ৰূপত উত্তৰ-পূব আঞ্চলিক পৰিষদৰ বিৰোধিতা কৰিছোঁ যদিও লগতে এই কথাও স্বীকাৰ কৰোঁ যে ভূগোলৰ আমোঘ নিয়মে সমগ্ৰ পূৰ্বাঞ্চলৰ ৰাজ্য আৰু উপ-ৰাজ্যকেইখনক অৰ্থনৈতিক ক্ষেত্ৰত পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল কৰি ৰাখিছে, আৰু সেই কাৰণে এই অঞ্চলৰ আটাইবোৰ গোটৰ অৰ্থনৈতিক কাৰ্য্যাৱলীৰ মাজত সমন্বয় ৰক্ষা কৰি চলাটো দৰকাৰ। সেই উদ্দেশ্যেৰে যদি এখন উচ্চ-ক্ষমতা-সম্পন্ন উপদেষ্টা পৰিষদ গঠন কৰা হয় আৰু সেই পৰিষদৰ কাম-কাজ অৰ্থনৈতিক আৰু কাৰিকৰী পৰিসৰতে সীমাবদ্ধ থাকে তেতিয়া হ'লে বোধহয় কাৰো বিশেষ আপত্তিৰ কাৰণ একো নাথাকিব। বৰং এনে এখন সমন্বয়ৰক্ষী বা উপদেষ্টা পৰিষদৰ প্ৰয়োজন অপৰিহাৰ্য্য বুলিয়েই বহুতে অনুভব কৰে। কিন্তু সেই প্ৰয়োজনৰ অজুহাত লৈয়েই কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূব আঞ্চলিক পৰিষদৰ নামত যি কাণ্ড কৰিব খুজিছে সি এহাতে যেনেকৈ কেন্দ্ৰীয় নেতৃবৰ্গৰ ৰাজনৈতিক সংবেদনশীলতাৰ চূড়ান্ত অভাৱৰ কথা প্ৰমাণ কৰিছে, আনহাতে সি তেনেকৈ অসমৰ নেতৃবৰ্গৰ দৃঢ়তা আৰু আত্মসন্মানবোধৰ প্ৰতি বিৰাট প্ৰত্যাহ্বান হৈয়ো দেখা দিছে। একেবাৰে শেহতীয়া বাতৰিৰ পৰা দেখা গৈছে যে অসমৰ জনসাধাৰণে তীব্ৰভাৱে আপত্তি কৰা সত্বেও কেন্দ্ৰীয় চৰকাৰ উত্তৰ-পূব আঞ্চলিক পৰিষদ স্থাপনৰ কামত আগবাঢ়ি যাবলৈ দৃঢ়সঙ্কল্প। আমি একে আষাৰে ক'ব খোজোঁ যে কেন্দ্ৰীয় চৰকাৰে এনে মনোভাব লোৱাটো অতি ভুল কথা হৈছে। যি সময়ত কেন্দ্ৰীয় চৰকাৰে এই অঞ্চলৰ জনসাধাৰণৰ সৰ্বাধিক আস্থা অৰ্জন কৰিবলৈ চেষ্টা কৰা উচিত, সেই সময়ত যদি তেওঁলোকে তাৰ বিপৰীত উদ্দেশ্যৰ কাৰণেহে কাম কৰে— তেন্তে তাৰ পৰিণাম সমগ্ৰ দেশৰ কাৰণেই বিপদজনক হ'ব পাৰে। আজিৰ দিনত নিজৰ প্ৰাপ্য গণতান্ত্ৰিক অধিকাৰৰ চুলি এডালমানো বিসৰ্জন দিবলৈ কোনো ৰাজী নহয়।

এটা জীৱন-মৰণৰ সমস্যা

১৯৬৩ চনত লোকসভাত দিয়া এটা ঐতিহাসিক ভাষণত স্বৰ্গীয় ৰামমোহন লোহিয়াই কৈছিল- "ভাৰতবৰ্ষত ২৭ কোটি মানুহে দিনে তিনি অনা উপাৰ্জনত প্ৰাণধাৰণ কৰি আছে। মই বিচাৰোঁ যাতে এটা কথা সদায় মনত ৰখা হয় যে দেশৰ জনতাৰ ২৭ কোটিয়ে দিনে গাইপ্ৰতি তিনি অনাত জীৱন ধাৰণ কৰিছে; অথচ প্ৰধানমন্ত্ৰীৰ কুকুৰটোৰ বাবে দিনে তিনি টকা খৰচ কৰা হৈছে। ইয়াৰ প্ৰত্যক্ষ ফল হ'ল এয়েই যে আমাৰ দেশত বৈষম্য যিমান আছিল সি দিনে দিনে বাঢ়ি যাব লাগিছে। মই মাত্ৰ ইয়াকে উল্লেখ কৰোঁ যে আমাৰ দেশত খেতিয়কে গড় হিচাবত দিনে বাৰ অনা কামায়। শিক্ষক এজনে কামায় দিনে দুটকা। কিন্তু আমাৰ দেশত এটা বেপাৰী পৰিয়াল আছে যি দিনে তিনি লাখ টকা কামাইছে। দেশত যিজন আটাইতকৈ 'আমীৰ ব্যক্তি' তেওঁৰ দিনে কামানি হ'ল ত্ৰিশ হাজাৰ টকা। অৰ্থাৎ প্ৰধান মন্ত্ৰীৰ দৈনিক খৰচ হ'ল পচিশ-ত্ৰিশ হাজাৰ টকা।"

স্বৰ্গীয় লোহিয়াৰ এই হিচাব তেতিয়া সংসদৰ বহুতো সদস্যই মানি ল'ব খোজা নাছিল। লোহিয়াই নিজেই কৈছিল যে তেওঁ এই হিচাববোৰ কিছু কমকৈহে কৈছে, কাৰণ আচল হিচাবটো ক'লে কোনোবাই আহি তেওঁৰ জিভাতেই ধৰেহি বুলি তেওঁৰ ভয় আছে। কিন্তু ইয়াৰ পিচত বহুতো নিৰপেক্ষ অৰ্থনীতিজ্ঞই উলিয়াই দেখুওৱা হিচাবে লোহিয়াৰ কথাকে সঁচা বুলি প্ৰমাণ কৰিছে। সম্প্ৰতি পোৱা এটা হিচাব মতে ১৯৬৮-৬৯ চনত দেশৰ গাঁও অঞ্চলৰ শতকৰা ৬৩.২৬ জন মানুহে বছৰি জীৱন ধাৰণৰ কাৰণে খৰচ কৰে মাত্ৰ ২৬১ টকা; শতকৰা ৬.৩৮ জনে খৰচ কৰে ৯৬ টকা, আৰু আন শতকৰা ১১.৯৫ জনে খৰচ কৰে ১৩২ টকা। সেইদৰে চহৰ অঞ্চলৰ শতকৰা ৬৮.৫১ জন মানুহে বছৰি খৰচ কৰে মাত্ৰ ৩৫৯.২০ টকা। ইয়াৰ তুলনাত গাঁও অঞ্চলৰ শতকৰা ৫ ভাগ ধনী মানুহে বছৰি খৰচ কৰে ১৫৮৮ টকা আৰু চহৰ অঞ্চলৰ শতকৰা ৫ ভাগ ধনী মানুহে বছৰি খৰচ কৰে ২২৬৩ টকা। সমাজবাদী অৰ্থনৈতিক পৰিকল্পনাৰ ফলত ধনী-দুখীয়াৰ এই বৈষম্য হ্ৰাস পোৱা দূৰৰ কথা, যোৱা ২৫ বছৰ ধৰি সি প্ৰতি বছৰে ক্ৰমাগত বৃদ্ধিহে হ'ব লাগিছে।

আমাৰ সৰ্বসাধাৰণ মানুহৰ উপাৰ্জন যে আগতকৈ এক পইচাও বৃদ্ধি হোৱা নাই সেইটোৱেই একমাত্ৰ ডাঙৰ সমস্যা নহয়; তাতোকৈ ডাঙৰ সমস্যা হ'ল এই যে যি স্থলত দেশৰ শতকৰা ৯০ ভাগ মানুহৰ উপাৰ্জন একে ঠাইতে স্থিৰ হৈ আছে, তেনে স্থলত নিত্য-ব্যবহাৰ্য্য বয়-বস্তুৰ দাম প্ৰতি দিনে ব্ৰহ্মপুত্ৰৰ বলীয়া বানপানীৰ দৰে হো-হোকৈ বাঢ়িয়েই আছে। কোনো কোনোৱে এই বুলি জনসাধাৰণক সান্ত্বনা দিবলৈ চেষ্টা কৰে যে মূল্য-বৃদ্ধিৰ সমস্যাটো ভাৰতৰ একচেটিয়া সমস্যা নহয়; যোৱা আঠ বছৰ ধৰি সমগ্ৰ পৃথিবীতে বয়-বস্তুৰ দাম বৃদ্ধি পাব ধৰিছে। কথাটো মিছা নহয়। যোৱা আঠ বছৰত সমগ্ৰ পৃথিবীতে বস্তুৰ দাম শতকৰা ২১ ভাগ হাৰত বৃদ্ধি পাইছে। কিন্তু ভাৰতত বস্তুৰ দাম বৃদ্ধি পাইছে তাতোকৈ তিনি গুণ বেচি হাৰত, অৰ্থাৎ শতকৰা ৭৪ ভাগ হাৰত। দ্বিতীয়তে, ধনী দেশবোৰত মানুহৰ উপাৰ্জন শতকৰা এভাগো বৃদ্ধি পোৱাৰ অৰ্থ হ'ল দুশ বা তিনিশ টকাৰ উপাৰ্জন বৃদ্ধি; কিন্তু ভাৰতত শতকৰা এভাগ উপাৰ্জন বৃদ্ধি পোৱা মানে মাত্ৰ দুটকা বা তিনি টকাৰ উপাৰ্জন বৃদ্ধি। গতিকে ধনী দেশবোৰত বস্তুৰ দাম শতকৰা একৈশ ভাগ বৃদ্ধি পালে সৰ্বসাধাৰণ মানুহৰ যি পৰিমাণে কষ্ট হয়, ভাৰতত সেই কষ্টৰে পৰিমাণ বহুগুণে বেচি হয়। তেনে স্থলত আন দেশতকৈ যদি ভাৰতত বস্তুৰ দাম তিনি গুণ বেচিকৈ বৃদ্ধি হয়, তেন্তে ভাৰতৰ সৰ্বসাধাৰণ মানুহৰ কি পৰিমাণে কষ্ট হ'ব পাৰে সেই কথা কল্পনা কৰি লোৱাটো বেচি টান কথা নহয়।

কোৱা হয় যে ভাৰতত বস্তুৰ মূল্য বৃদ্ধি হোৱাৰ প্ৰধান কাৰণ হ'ল মুদ্ৰা-স্ফীতি, আৰু ভাৰতৰ দৰে দুখীয়া দেশ এখনে দ্ৰুত গতিৰে আৰ্থিক উন্নতিৰ পথত আগবাঢ়ি যাবলৈ হ'লে মুদ্ৰা-স্ফীতিৰ অনিবাৰ্য্য যন্ত্ৰণাৰ পৰা হাত সাৰিবৰ কোনো উপায় নাই। এই 'মুদ্ৰাস্ফীতি' কি বস্তু সেই কথা সৰ্বসাধাৰণ মানুহে বুজি পোৱাকৈ ক'বলৈ হ'লে এইখিনি ক'লেই যথেষ্ট হ'ব যে ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ এই কুৰি বছৰৰ ভিতৰত জনসাধাৰণৰ মাজত প্ৰচলিত টকাৰ পৰিমাণ তিনি গুণ বৃদ্ধি পাইছে, কিন্তু খাদ্য-উৎপাদন বাঢ়িছে মাত্ৰ দুগুণ আৰু জাতীয় উপাৰ্জন বাঢ়িছে দুগুণ। ১৯৫১ চনত প্ৰচলিত টকাৰ মুঠ পৰিমাণ আছিল ২০২৬ কোটি টকা; ১৯৭১ চনত ই হ'লগৈ ৭০০০ কোটি টকা। চৰকাৰৰ জমা-খৰচৰ ঘাটি পূৰাবৰ কাৰণে নাচিক প্ৰিন্টিং প্ৰেছত নোট যি পৰিমাণে ছপা কৰি থকা হৈছে, সেই পৰিমাণে দেশত সম্পদ সৃষ্টি হোৱা নাই, অৰ্থাৎ দেশত যিমান টকা আছে, সেই টকাৰ মূল্যৰ সম্পদ নাই। ফলত বস্তুৰ তুলনাত টকাৰ মূল্য নোহোৱা হৈ গৈছে। সম্প্ৰতি মুদ্ৰা-স্ফীতিয়ে কি সাংঘাতিক ৰূপ লৈছে সেই কথা এটা সাধাৰণ উদাহৰণ দিলেই ৰাইজে বুজিব পাৰিব। কিছু দিনৰ পৰা বাতৰি কাকতত এটা খবৰ প্ৰায়েই পঢ়িবলৈ পোৱা হৈছে যে দেশৰ ঠায়ে ঠায়ে পাঁচ পইচা, দহ পইচা আদি ভঙনীয়া পইচাৰ নাটনি হৈছে। তাৰ কাৰণ হ'ল এয়েই যে যি ধাতুৰে দহ পইচাৰ মুদ্ৰা এটা তৈয়াৰ কৰা হয়, সেই মুদ্ৰাটো গলাই ধাতুখিনি বজাৰত বিক্ৰী কৰিলে দহ পইচাতকৈ বেচি পইচা পোৱা যায়। অৰ্থাৎ এটা মুদ্ৰাৰ যি চৰকাৰী মূল্য দেখুওৱা হয়, প্ৰকৃততে তাৰ মূল তাতোকৈ কম। গতিকে বহুতো ব্যৱসায়ীয়ে সেই মুদ্ৰাবোৰ গলাই ধাতুবোৰ বজাৰত বেচিবলৈ আৰম্ভ কৰিছে।

মুদ্ৰা-স্ফীতি কি কি কাৰণে হ'ব পাৰে তাৰ বহুতো যুক্তি দেখুওৱা হৈছে। সেইবোৰৰ ভিতৰত প্ৰধানকেইটা হ'ল ঘাটি বিত্তায়ন, সম্পদ সৃষ্টি নোহোৱা কামত টকা খৰচ, ৰাজহুৱা খণ্ডৰ বৃহৎ উদ্যোগবোৰৰ ক্ৰমবৰ্ধমান ক্ষতি, পৰিকল্পনাত প্ৰকৃত সম্পদ আৰু প্ৰস্তাৱিত ব্যয়ৰ মাজত ক্ৰমবৰ্ধমান ব্যৱধান ইত্যাদি। মুদ্ৰা-স্ফীতিৰ প্ৰকৃত কাৰণ কি, সি Cost-pull-ৰ কাৰণেই হৈছে নে Demand-pull-ৰ কাৰণেই হৈছে— এইবোৰ কথা অৰ্থনীতিজ্ঞৰ বিতৰ্কৰ বিষয়। কিন্তু অৰ্থনীতিজ্ঞৰ তৰ্ক-বিতৰ্কৰে অনাহাৰী মানুহৰ পেট নভৰে। আমি কেৱল এইটোৱেই বুজি পাওঁ যে দেহৰ অস্বাভাৱিক উত্তাপ বৃদ্ধি বা জ্বৰ যেনেকৈ দেহৰ ভিতৰৰ বিভিন্ন প্ৰকাৰৰ বেমাৰৰ বাহ্যিক লক্ষণ মাত্ৰ, ঠিক তেনেকৈ মুদ্ৰা-স্ফীতিও দেশৰ অৰ্থনীতিৰ এটা ডাঙৰ বেমাৰৰ এটা বাহ্যিক লক্ষণ মাত্ৰ। এই বেমাৰ দীৰ্ঘ-স্থায়ী হ'বলৈ হ'লে দেশৰ অৰ্থনীতিৰ চৰম বিনাশ অনিবাৰ্য্য। লগতে এইটো কথাও মনত ৰাখিব লাগে যে এই দীৰ্ঘস্থায়ী মুদ্ৰা-স্ফীতিৰ ফলত সমাজৰ শতকৰা দহভাগ মানুহ— যাৰ হাতত গৈ সকলো টকা পুঞ্জিভূত হৈছে— তেওঁলোকৰ বিশেষ একো অসুবিধা হোৱা নাই; এই মুদ্ৰা-স্ফীতিৰ বাবে চৰম মূল্য দিবলগা হৈছে কেৱল চহৰ অঞ্চলৰ হাত-সৰ্বস্ব দৰিদ্ৰ লোকসকলে, গাঁৱৰ মাটিহীন কৃষক আৰু কৃষি-বনুৱাসকলে আৰু মধ্যবিত্ত আৰু নিম্নবিত্ত চাকৰি জীৱীসকলে— যিসকলৰ উপাৰ্জন একে ঠাইতে স্থিৰ হৈ আছে, অথচ বস্ত্ৰ-বস্তুৰ দামো প্ৰতিদিনে হো-হোকৈ বাঢ়িব লাগিছে।

দেশৰ প্ৰতিবিধ বস্তুৰেই দাম বৃদ্ধি পাব লাগিছে। কিন্তু প্ৰতিবিধ বস্তুৰ লগত দেশৰ সৰহভাগ মানুহৰ কোনো সম্পৰ্ক নাই। কোনোমতে দুবেলা দুমুঠি খায় গৰু-পশুৰ দৰে জীৱন ধাৰণ কৰা কোটি কোটি মানুহে দৈনন্দিন আহাৰ্য্য বস্তুখিনি যুক্তি-সঙ্গত দামত পালেই বৰ্তমানৰ কাৰণে সন্তুষ্ট হৈ থাকিব পাৰে। এটা হিচাবৰ পৰা দেখা গৈছে যে ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ এটা পৰিয়ালে মুঠ উপাৰ্জনৰ শতকৰা ৪৫ ভাগ খৰচ কৰে কেৱল খাদ্য-বস্তুৰ কাৰণে; শ্ৰমিক শ্ৰেণীৰ মানুহে কেৱল খাদ্য-বস্তুৰ কাৰণেই খৰচ কৰে মুঠ উপাৰ্জনৰ শতকৰা ৬০ ভাগ, আৰু দুখীয়া শ্ৰেণীৰ মানুহে খৰচ কৰে শতকৰা ৮০ ৰ পৰা ৯০ ভাগ। যিহেতু দেশৰ বৃহত্তম সংখ্যক মানুহৰ কাৰণে খাদ্যই হ'ল একমাত্ৰ সমস্যা, খাদ্যৰ বাহিৰে আন সকলো বস্তুৱেই তেওঁলোকৰ কাৰণে স্বপ্ন-সম বিলাসিতা মাত্ৰ, গতিকে খাদ্যৰ মূল্য-মান জনসাধাৰণৰ সামৰ্থ্যই চুকি পোৱাকৈ ৰখাটোৱেই হ'ল দেশৰ চৰকাৰৰ সৰ্ব-প্ৰধান কৰ্তব্য। যি চৰকাৰে সেই কাম কৰিব নোৱাৰে সেই চৰকাৰ জনসাধাৰণৰ

এক নম্বৰ শত্ৰু; এদিনৰ কাৰণেও সেই চৰকাৰৰ ক্ষমতাত থাকিবলৈ কোনো নৈতিক অধিকাৰ নাই।

প্ৰয়োজনতকৈ বস্তুৰ উৎপাদন কম হ'লে বস্তুৰ মূল্য বাঢ়ে, সেই কথা সহজেই বুজিব পাৰি। কিন্তু এই কথা চৰকাৰেই ঢোল পিটি প্ৰচাৰ কৰি ফুৰিছে যে যোৱা তিনি বছৰে দেশত 'সেউজীয়া বিপ্লৱ' ঘটিব ধৰিছে, অৰ্থাৎ খাদ্য-বস্তুৰ উৎপাদন আগতকৈ বহুগুণে বৃদ্ধি পাইছে। কিন্তু খাদ্য-বস্তুৰ উৎপাদন বৃদ্ধি পোৱা সত্ত্বেও লগে লগে খাদ্যৰ মূল্যও কেনেকৈ বৃদ্ধি পাইছে? এই প্ৰশ্নৰ কোনো সন্তোষজনক উত্তৰ চৰকাৰে দিব পৰা নাই, কাৰণ দিয়াটো অসম্ভৱ। চাহিদাতকৈ যোগনৰ পৰিমাণ কম হোৱা কাৰণেই বস্তুৰ মূল্য বৃদ্ধি হৈছিল বুলি চৰকাৰে ইমান দিনে যি ফাঁকি দি আছিল সেই ফাঁকি এইবাৰ ধৰা পৰিছে। এতিয়া আৰু ৰাইজৰ এই কথা বুজিবলৈ বাকী নাই যে উৎপাদন কম হোৱাটোৱেই মূল্য বৃদ্ধিৰ একমাত্ৰ কাৰণ নহয়। এতিয়া চৰকাৰে স্বীকাৰ কৰিব লাগিব যে হয় 'সেউজীয়া বিপ্লৱ'ৰ জয়-গান এটা বিৰাট ফাঁকি, অথবা উৎপাদন বঢ়া সত্ত্বেও যুক্তি-সঙ্গত দামত মানুহক খাদ্য-দ্ৰব্য যোগান ধৰিব নোৱৰাৰ প্ৰধান কাৰণ অসৎ লাভখোৰ খাদ্য-ব্যৱসায়ীৰ ওচৰত চৰকাৰৰ নতি স্বীকাৰ। কাৰণটো যিয়েই নহওক, চৰকাৰৰ ব্যৰ্থতা ক্ষমাৰ অযোগ্য। কংগ্ৰেছ দলৰ দহ-দফীয়া কাৰ্য্যসূচীৰ অন্যতম প্ৰস্তাৱ আছিল খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ। খাদ্য-দ্ৰব্যৰ মূল্যমান নিয়ন্ত্ৰাধীন কৰি ৰাখিবলৈ চৰকাৰে যদি আন কোনো উপায় বিচাৰি পোৱা নাই, তেন্তে খাদ্য-ব্যৱসায় ৰাষ্ট্ৰীয়কৰণৰ প্ৰস্তাৱ এইবাৰ কাৰ্য্যকৰী কৰিব লাগিব। এয়েই ৰাইজৰ দাবী।

যোৱা মধ্যৱৰ্তী নিৰ্বাচনত জয়লাভ কৰাৰ পাচতেই শ্ৰীমতী ইন্দিৰা গান্ধীয়ে ঘোষণা কৰিছিল যে তেওঁৰ নতুন চৰকাৰে দুটা সমস্যাৰ সমাধানৰ ওপৰত আটাইতকৈ বেচিকৈ গুৰুত্ব দিব। সমস্যা দুটা হ'ল নিবনুৱা সমস্যা আৰু মূল্যবৃদ্ধিৰ সমস্যা। শ্ৰীমতী গান্ধীৰ এই প্ৰতিশ্ৰুতি একো নতুন কথা নহয়। যোৱা ২৫ বছৰ ধৰি প্ৰতিজন বিত্ত-মন্ত্ৰীয়েই পাৰ্লিয়ামেণ্টত এই প্ৰতিশ্ৰুতি দি আহিছে। সৌ সিদিনা মাত্ৰ বিত্তমন্ত্ৰী শ্ৰীচৱণে মূল্যবৃদ্ধি ৰোধ কৰিবৰ কাৰণে কেতবোৰ বিশেষ ব্যৱস্থা লোৱাৰ কথা পাৰ্লিয়ামেণ্টত ঘোষণা কৰিছিল। কিন্তু চৰকাৰৰ কোনো ব্যৱস্থাই আজিলৈকে কোনো ফল দিয়া নাই। এতিয়া এই কথা স্পষ্ট হৈ পৰিছে যে চৰকাৰৰ এইবোৰ জোৰা-টাপলি মৰা ব্যৱস্থাই মূল্যবৃদ্ধি ৰোধ কৰাৰ কোনো আশা নাই। তাৰ কাৰণে এটা বৈপ্লৱিক ব্যৱস্থাৰ প্ৰয়োজন। কাৰখানাৰ শ্ৰমিক আৰু চৰকাৰৰ চাকৰিয়াল আদি যিসকল লোকৰ একোটা গোটত সংগঠিত হ'বৰ সুবিধা আছে, তেওঁলোকে নিজস্ব সংগঠনৰ যোগেদি আন্দোলন কৰি মাজে মাজে দৰমহা বঢ়াই লয়— যদিও এই দৰমহা বৃদ্ধিয়ে মূল্য বৃদ্ধি কৰাতহেবেচিকৈ সহায় কৰে। কিন্তু কোটি কোটি দিন মজুৰী কৰি খোৱা মানুহ, মাটিহীন কৃষক, কৃষি বনুৱা— এইসকল লোকৰ কোনো সংগঠন নাই। ফলত ক্ৰমবৰ্ধমান মূল্য বৃদ্ধিৰ হেঁচাত এইসকল লোক জীয়াই থকা অসম্ভৱ হৈ পৰিছে। সংগঠিত শ্ৰমিক বা চাকৰিয়ালৰ সম্মিলিত ৰুদ্ৰগৰ্জন সকলো মানুহে শুনিবলৈ পায়, কিন্তু দেশৰ কোটি কোটি অসংগঠিত নিম্ন-মধ্যবিত্ত খেতিয়ক, দিন-মজুৰী কৰি খোৱা মানুহ, মাটিহীন খেতিয়ক আৰু কৃষি বনুৱাৰ হিয়া-ভগা হুমুনিয়াহ কাৰো কাণত নপৰে। অথচ মূল্য-বৃদ্ধি স্বৰূপ ভয়ঙ্কৰ দৈত্যৰ আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ অসহায় চিকাৰ হ'ল এইসকল লোকেই। এতিয়া এই কথা সকলোৱেই স্পষ্টভাৱে বুজা উচিত যে চৰকাৰৰ মিছা আশ্বাস বা জোৰা-টাপলি মৰা ব্যৱস্থাই মূল্য-বৃদ্ধিৰ সমস্যা কেতিয়াও সমাধান কৰিব নোৱাৰে; তাৰ কাৰণে দেশ ব্যাপি এটা প্ৰবল গণ-আন্দোলন গঢ়ি তোলা দৰকাৰ। যি কোনো প্ৰকাৰেই নহওক— মূল্যবৃদ্ধিৰ সমস্যা সমাধান কৰি দেশৰ কোটি কোটি মানুহক দুবেলা দুমুঠি খাই জীয়াই থাকিবলৈ সুবিধা দিবৰ কাৰণে চৰকাৰক বাধ্য কৰিবলৈ দেশ-ব্যাপি এটা গণ-আন্দোলন গঢ়ি তুলিবলৈ সকলো ৰাজনৈতিক দল এই মুহূৰ্ত্ততে ওলাই নাহিলে তেওঁলোকে জনসাধাৰণৰ প্ৰতি চৰম বিশ্বাসঘাটকতাৰ কাম কৰা হ'ব।

ভাৰতৰ বৈদেশিক সম্পৰ্কত এটা নতুন অধ্যায়

ভাৰত আৰু ৰাছিয়াৰ মাজত অলপতে স্বাক্ষৰিত হোৱা কুৰি বছৰীয়া মৈত্ৰী চুক্তিখনে ভাৰতৰ বৈদেশিক সম্পৰ্কৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। স্বাধীন ভাৰতবৰ্ষই এটা বিদেশী শক্তিৰ লগত এনে ধৰণৰ মিত্ৰতা-চুক্তিত আবদ্ধ হোৱাৰ উদাহৰণ এয়েই প্ৰথম। শ্ৰীমতী ইন্দিৰা গান্ধী প্ৰমুখ্যে কেন্দ্ৰীয় নেতৃবৰ্গই মুখেৰে যিহকেই নকওক, এই চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে ভাৰতৰ তথাকথিত নিৰপেক্ষতা নীতিৰ প্ৰকৃতপক্ষে অৱসান ঘটিব বুলি ক'ব পাৰি। সকলো বাস্তৱবাদী লোকেই শ্ৰীএম. চি. চাগলাৰ দৰে অনুভৱ কৰিছে যে ভাৰতৰ নিৰপেক্ষ নীতিৰ মৃত্যু ঘটিছে আৰু তাৰ কাৰণে দুখ অনুভৱ কৰাৰো কোনো কাৰণ নাই।

বহুতো লোকে এই চুক্তিখনৰ এনে এটা ব্যাখ্যা দিবলৈ প্ৰয়াস কৰিছে যে চীনৰ প্ৰতি আমেৰিকাৰ নতুন দৃষ্টিভঙ্গী আৰু বাংলাদেশৰ সাম্প্ৰতিক ঘটনাৱলীৰ ফলতহে ভাৰতে ততাতৈয়াকৈ ৰাছিয়াৰ লগত এনে এখন চুক্তিত আবদ্ধ হ'ব লগা হ'ল। এই ব্যাখ্যা বোধহয় আংশিকভাৱেহে সত্য। ভাৰত স্বাধীন হোৱাৰ পিচৰ পৰাই এই দেশে ৰাছিয়াৰ লগত গভীৰ বন্ধুত্ব আৰু সহযোগিতাৰ সম্পৰ্ক ৰক্ষা কৰি আহিছে। ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ সময়ত অৱশ্যে ৰাছিয়াই ভাৰতক কেৱল বন্ধু আৰু চীনক ভাই বুলি ঘোষণা কৰি চীনৰ প্ৰতি তেওঁলোকৰ বিশেষ আনুগত্যৰ পৰিচয় দিছিল। সেই সময়ত চীনৰ লগত ৰাছিয়াৰ কুৰি বছৰীয়া মৈত্ৰী চুক্তিৰ ম্যাদ চলি আছিল। ১৯৭০ চনত সেই চুক্তিৰ ম্যাদ শেষ হোৱাৰ পিচত নতুনকৈ আৰু তাক বঢ়াই দিয়া হোৱা নাই। চীন-ভাৰত যুদ্ধ দীঘলীয়া হোৱা হ'লে বা সি গুৰুতৰ ৰূপ ধাৰণ কৰা হ'লে ৰাছিয়াই কি কৰিলেহেঁতেন সি ইতিহাসৰ এটা অমীমাংসিত প্ৰশ্ন হৈ ৰৈ গ'ল। ৰাছিয়াৰ উদ্যোগত সম্পাদিত তাচখণ্ড চুক্তিৰ ফলত ১৯৬৫ চনত ভাৰত-পাকিস্তান যুদ্ধৰ সামৰণি পৰাৰ পিচৰ পৰাই ৰাছিয়াই ভাৰত আৰু পাকিস্তান উভয় দেশৰ প্ৰতি সম-পৰিমাণৰ বন্ধুত্বৰ সম্পৰ্ক এটা ৰক্ষা কৰি চলিবলৈ এটা নতুন চেষ্টা আৰম্ভ কৰিছিল। তাৰ মূলতে আছিল সেই সময়ৰ পাকিস্তানৰ বৈদেশিক মন্ত্ৰী শ্ৰীজুলফিকৰ আলি ভুট্টোৰ নেতৃত্বত পাকিস্তানে চীনৰ প্ৰতি গ্ৰহণ কৰা নতুন বন্ধুত্বপূৰ্ণ নীতি। ৰাছিয়াই আশা কৰিছিল যে ভাৰত আৰু পাকিস্তান উভয় দেশৰ লগত সমান দূৰত্ব বা সমান ঘনিষ্ঠতা ৰক্ষা কৰি আৰু পাকিস্তানক কিছু সামৰিক সাহয্য দি সেই দেশক চীনৰ প্ৰভাৱৰ পৰা আঁতৰাই ৰখাটো বোধহয় সম্ভৱ হ'ব। ৰাছিয়াৰ এই নতুন নীতিয়ে ভাৰতত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি নকৰাকৈ থকা নাছিল। কিন্তু পাকিস্তানৰ সামৰিক শাসক চক্ৰৰ চৰম প্ৰতিক্ৰিয়াশীল চৰিত্ৰ আৰু নীতি-বিবৰ্জিত সুবিধাবাদী মনোভাৱৰ পৰিচয় পাবলৈ ৰাছিয়াৰ বেচি সময় নালাগিছিল। বাংলাদেশৰ স্বাধীনতা আন্দোলন দমন কৰিবলৈ পাকিস্তানে যি বৰ্বৰ আৰু অমানুষিক অত্যাচাৰ আৰম্ভ কৰিছিল তাৰ প্ৰতিবাদকল্পে ৰাছিয়াৰ ৰাষ্ট্ৰপ্ৰধানে পাকিস্তানৰ ৰাষ্ট্ৰপতিলৈ দিয়া মুকলি চিঠিয়ে ভাৰতৰ লগত ৰাছিয়াৰ মৌলিক মতৈক্যৰ কথাকে প্ৰমাণ কৰে। মনত ৰখা দৰকাৰ যে বিশ্বৰ আন কোনো ৰাষ্ট্ৰই এনে স্পষ্টভাৱে পাকিস্তানৰ কাৰ্য্যৰ প্ৰতিবাদ কৰা নাছিল বা এতিয়াও কৰা নাই।

ভাৰত আৰু ৰাছিয়াৰ মাজত হোৱা মৈত্ৰী চুক্তিখন আমি এই পটভূমিতেই বিচাৰ কৰি চাব লাগিব। সেই কালৰ পৰা চাবলৈ গ'লে এই ঐতিহাসিক চুক্তিখন দুয়োখন দেশৰ সুদীৰ্ঘ আৰু ক্ৰমবৰ্দ্ধমান বন্ধুত্বৰ এটা

স্বাভাৱিক পৰিণতি মাত্ৰ। অৱশ্যে এই কথা সঁচা যে আমেৰিকাই ভাৰতৰ প্ৰতি কৰা চৰম বিশ্বাসঘাটকতা আৰু চীনৰ প্ৰতি দেখুওৱা নতুন বন্ধুত্বৰ মনোভাবে ভাৰত আৰু ৰাছিয়াৰ মাজৰ ঘনিষ্ঠতা আৰু পাৰস্পৰিক সহযোগিতাৰ সম্পৰ্কক এক আনুষ্ঠানিক ৰূপ দিয়াৰ প্ৰয়োজন ত্বৰান্বিত কৰি তুলিলে। চীন আৰু পাকিস্তান দুয়োখন দেশেই ভাৰতৰ প্ৰতি বৈৰীভাবাপন্ন; বাংলাদেশৰ প্ৰশ্নক কেন্দ্ৰ কৰি নতুনকৈ যদি এখন ভাৰত-পাকিস্তানৰ যুদ্ধ হ'ব লগা হয় তেন্তে চীনে পাকিস্তানক সমৰ্থন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। আমেৰিকাই তেনে দুখন দেশৰ লগ লাগি এচিয়াত যি নতুন শক্তি-গোষ্ঠী গঠন কৰাৰ পৰিকল্পনা কৰিছে তাৰ সমুচিত প্ৰত্যুত্তৰ নিদিয়াকৈ থকাটো ভাৰতৰ পক্ষে নিশ্চয় সম্ভৱ নহয়। আনহাতে চীন আৰু আমেৰিকাৰ মাজৰ সম্পৰ্কৰ আকস্মিক দিক পৰিৱৰ্তনে ৰাছিয়াকো স্বাভাৱিকতেই অতি সন্দিগ্ধ আৰু শঙ্কিত কৰি তুলিছে; আমেৰিকাৰ নতুন বৈদেশিক নীতিৰ মাজত তেওঁলোকে ৰাছিয়াক এঘৰীয়া কৰি তোলাৰ ষড়যন্ত্ৰ লক্ষ্য কৰিছে। ঘটনাপ্ৰৱাহে এনেভাৱেই ভাৰত আৰু ৰাছিয়া দুয়োখন দেশকে নিজ নিজ স্বাৰ্থ ৰক্ষাৰ তাগিদাত পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছে। এই পটভূমিত বিচাৰ কৰি চালে দেখা যায় যে সম্প্ৰতি স্বাক্ষৰিত হোৱা ৰুছ-ভাৰত মৈত্ৰী চুক্তিখন আন্তৰ্জাতিক ঘটনাপ্ৰৱাহৰ এক অনিবাৰ্য্য পৰিণতি মাত্ৰ। তাৰ বাহিৰে দুয়োখন দেশৰ সন্মুখত আন কোনো বিকল্প নাছিল।

আমি এই চুক্তিখনৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছো। কিন্তু তাৰ লগতে এই কথা কোৱাটো প্ৰয়োজন অনুভৱ কৰিছো যে ভাৰতে ৰাছিয়াৰ লগত গভীৰ বন্ধুত্বৰ সম্পৰ্ক ৰক্ষা কৰিও তাৰ লগে লগে চীনৰ লগতো নিজৰ সম্পৰ্ক স্বাভাৱিক কৰি তুলিবলৈ চেষ্টা কৰা উচিত। তাকে কৰাৰ বাটত এই চুক্তিখনক প্ৰতিবন্ধক ৰূপে থিয় হ'বলৈ দিয়াটো ভাৰতৰ স্বাৰ্থৰ পক্ষে অনুকূল নহ'ব। এটা জাতিৰ কোনো স্থায়ী বন্ধু থাকিব নোৱাৰে, থাকিব পাৰে কেৱল স্থায়ী জাতীয় স্বাৰ্থ— জেনেৰেল চাৰ্ল দ্য গলৰ এই উক্তি শুনাত যিমানেই চিনিকেল যেন নালাগক কিয়, কিন্তু তাৰ সত্যতাখিনি অস্বীকাৰ কৰা টান। চীনৰ লগত মিত্ৰতাৰ সম্পৰ্ক ভাৰতৰ নিজৰ স্বাৰ্থৰ কাৰণেই অতি প্ৰয়োজনীয়। যোৱা তিনি বছৰৰ ভিতৰত শ্ৰীমতী ইন্দিৰা গান্ধীয়ে বহুক্ষেত্ৰত অসামান্য সাহস, দূৰ-দৃষ্টি আৰু কল্পনা শক্তিৰ পৰিচয় দিছে। চীনৰ লগত ভাৰতৰ সম্পৰ্কৰ ক্ষেত্ৰতো যোৱা এটা দশকৰ স্থবিৰ আৰু নেতি-বাচক নীতি পৰিহাৰ কৰি এটা নতুন পথ ল'বলৈ তেওঁ আগবাঢ়ি আহিব বুলি আমি আশা কৰোঁ।

চেম্বাৰ আৰু চৰকাৰৰ কালিকা লগা কাহিনী

অসম চৰকাৰ আৰু কামৰূপ জিলা কৰ্তৃপক্ষৰ ৰহস্যজনক নিষ্ক্ৰিয়তা আৰু কামৰূপ চেম্বাৰ্চ অব কমাৰ্চ বা বণিক সংঘৰ চৰম সুবিধাবাদী চৰিত্ৰ, অপৰাধতুল্য মনোভাব আৰু কাৰ্য্যকলাপৰ ফলত চলিত মাহৰ প্ৰথম সপ্তাহত গুৱাহাটীৰ পৰা কেনেকৈ এচাম সমাজ বিৰোধী ব্যৱসায়ীয়ে প্ৰথমতে চেনি, ডাইল আদি নিত্য ব্যৱহাৰ্য্য সামগ্ৰী বিৰাট হাৰত অসমৰ বাহিৰলৈ চালান দি বাকী থকা সামগ্ৰীখিনি বজাৰৰ পৰা আঁতৰাই দি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিলে আৰু এনে দৰেই এই সামগ্ৰীৰ দাম আকাশচুম্বী কৰি পেলাই সৰ্বসাধাৰণ ৰাইজ তথা গ্ৰাহকক হতাশ কৰি কেনেকৈ বৃহৎ পৰিমাণৰ লাভ অৰ্জন কৰিলে সেই বিষয়ে ভালেমান অভিযোগ শুনা গৈছে।

যোৱা ৫ আগষ্টত বানপানীৰ ফলত একাধিক ঠাইত ৰেল আৰু পথ সংযোগ বিচ্ছিন্ন হয়। ৬ আগষ্টৰ দিনা গুৱাহাটীৰ উপায়ুক্তৰ আহ্বানত মূল তদাৰকী কমিটিৰ সভা বহে। ইপিনে এই তাৰিখৰ পৰাই চোৰাংকৈ গুৱাহাটী আৰু অন্যান্য ঠাইৰ পৰা অসমৰ বাহিৰলৈ এচাম ব্যৱসায়ীয়ে ডাইল, চেনী আদি ট্ৰাক যোগে উলিয়াই পঠিয়াবলৈ লয়। মন কৰিবলগীয়া যে জিলাৰ উপায়ুক্ত বা যোগান কৰ্তৃপক্ষই এই চোৰাং চালানৰ কথা ধৰিব নোৱাৰিলে আৰু স্থানীয় চেম্বাৰেও তদাৰকী কমিটিৰ সভাক চোৰাং চালান আৰম্ভ হোৱাৰ কথা জ্ঞাত নকৰিলে। মুখ্য তদাৰকী কমিটিয়ে এই কথা সেই সময়তে জনা হ'লে, উচিত ব্যৱস্থা হাতত ল'ব পাৰিলেহেঁতেন বা ল'বলৈ জিলা কৰ্তৃপক্ষক টানি অনুৰোধ জনাব পাৰিলেহেঁতেন।

ৰাইজৰ অভিযোগ কিন্তু অন্য ৰকমৰ। এই অভিযোগ মতে জিলা কৰ্তৃপক্ষই অথবা বণিক সংঘই এই চোৰাং চালানৰ কথা কিছু নহয় কিছু জানিব পাৰিছিল, কিন্তু সম্পূৰ্ণ ৰহস্যজনক কাৰণত এই বিষয়টোৰ ওপৰত গুৰুত্ব দান নকৰিলে বা ইয়াত বাধা দান কৰিব নোৱাৰিলে।

চৰকাৰৰ মহানুভৱতা

ইতিমধ্যে চেনী, ডাইলৰ দাম প্ৰচণ্ড গতিৰে বাঢ়িয়েই থাকিল। ১১ আগষ্টৰ দিনা চিলঙত চৰকাৰ পক্ষ আৰু বণিক সংঘৰ আলোচনা বহিল। ৰাজ্যখনৰ শোচনীয় যোগান আৰু মূল্য পৰিস্থিতিৰ কথা নিশ্চয়কৈ জানিব পাৰিও ৰাজ্য চৰকাৰে ৰহস্যজনকভাৱে মূল্য নিয়ন্ত্ৰণৰ একো ব্যৱস্থা হাতত নললে। সমাজদ্ৰোহী ব্যৱসায়ী চামে কৃত্ৰিম অভাৱৰ সৃষ্টি কৰি দাম বঢ়াই তিথিলথিলাই থাকিবলৈ আৰু বেছিকৈ সময় পালে। ব্যৱসায়চামে চৰকাৰৰ মনোভাব বুজি পাই আৰু যিমান পাৰে অবাধে লুটি লোৱাৰ পিচত ১৬ আগষ্টৰ (দেওবাৰলৈকে) চেনীৰ মূল্য বাঢ়িয়েই আছে। প্ৰাপ্তবয়স্ক এজোনক সপ্তাহটোৰ বাবে ১০০/গ্ৰামকৈ অৰ্থাৎ আগৰ হিচাপত মাত্ৰ আঠ তোলাকৈ আৰু শিশুক সপ্তাহটোত ইয়াৰ আধা অৰ্থাৎ চাৰি তোলাকৈ চেনী দিয়াৰ ব্যৱস্থা হৈছে। যি সময়ত দেশত খাদ্য সামগ্ৰী উদ্বৃত্তকৈ উৎপন্ন হৈছে বুলি সুদূৰ নতুন দিল্লীৰ পৰা অহৰ্নিশে চিঞৰি থকা হৈছে, সেই সময়ত অসমত এমুঠিমান সমাজদ্ৰোহী ব্যৱসায়ীৰ ওচৰত চৰকাৰে

এনেদৰে আত্মসমৰ্পণ কৰাৰ কাৰণটোলৈ চাই অসম চৰকাৰৰ মাননীয় যোগান মন্ত্ৰী মহাশয়ে স-সন্ত্ৰমে পদত্যাগ কৰা উচিত হ'ব বুলি নীতিজ্ঞান বিশ্বাসী ৰাইজে ভাবে।

ডাইলৰ ক্ষেত্ৰত হৈছে কি? বজাৰৰ নিকৃষ্টতম ডাইলবোৰো চেম্বাৰ তথা জিলা কৰ্তৃপক্ষই ধাৰ্য্য কৰি দিয়া আটাইতকৈ ভাল ডাইলৰ দৰতহে বিক্ৰী হৈছে। উদাহৰণ স্বৰূপে গুণানুসাৰে মচুৰ ডাইলৰ বিধ সমূহ হৈছে— ভূপাল, বাম্ভ্ৰা, কাণপুৰী, চিতপুৰী, পাটনাই আৰু বেৰেলী। সাধাৰণতে ভূপালৰ পৰা অহা মচুৰ ডাইল বিধৰ দাম বেৰেলিৰ পৰা অহাবিধতকৈ কম পক্ষেও কুড়ি টকা কুইন্টলত বেছি। এতিয়া কিন্তু কেওপিনে সমান দামত চলি আছে। নিকৃষ্ট ডাইলৰ দাম ইমান বেচি হোৱাৰ এইয়ে প্ৰথম দৃষ্টান্ত বুলি ভূ-ৰখা ৰাইজে মন্তব্য কৰি কৈছে যে চৰকাৰ, চেম্বাৰ আৰু সমাজদ্ৰোহীৰ কৃপা ডাইলৰ দামৰ ক্ষেত্ৰত প্ৰচণ্ড সাম্যনীতি চলিব লাগিছে।

আৰু নিমখৰ একা? আশা কৰা হৈছে চলিত সপ্তাহত চেম্বাৰৰ মূল্য তালিকা আৰু উপায়ুক্তৰ মূল্য তালিকাৰ মাজত অকণো ব্যৱধান নথকাৰ দৰে নিমখৰ দাম আৰু চেনিৰ দামৰ মাজতো বিশেষ একো তফাৎ নেথাকিবগৈ।

প্ৰশংসনীয়

মুখ্যমন্ত্ৰী মহোদয়ে যোৱা শনিবাৰে অসম ভ্ৰমণৰত কেন্দ্ৰীয় ৰেলমন্ত্ৰীৰ সন্মানাৰ্থে গুৱাহাটীৰ চেম্বাৰ্চে আয়োজন কৰা মধ্যাহ্ন ভোজনত যোগ দান কৰিবলৈ অসন্তুষ্টি প্ৰকাশ কৰি বহুতৰ প্ৰশংসা লাভ কৰিছে। বাতৰি অনুযায়ী চেম্বাৰৰ মূল্য তালিকাকেই চৰকাৰী তালিকা হিচাপে গ্ৰহণ কৰা জিলা উপায়ুক্তয়ো মুখ্যমন্ত্ৰীৰ পথকে অনুসৰণ কৰি ভোজমেলত যোগদানৰ পৰা বিৰট থাকে। কিন্তু মুখ্যমন্ত্ৰী বা উপায়ুক্তই এই নতুন বিধৰ অসযোগ আন্দোলনকেই মূল্য-ৰোধৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থাৰ একমাত্ৰ নিদৰ্শন হৈ থাকিবলৈ এৰি দিলে, ৰাইজৰ একো কামত নাহে। আইনৰ বাকী ব্যৱস্থাবোৰ ক'লৈ গ'ল? মূল্য তদাৰকী কমিটিৰ সদস্যসকলে মূল্য নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত যদি অৰ্থপূৰ্ণ অস্তিত্বৰ পৰিচয় দিব নোৱাৰে, তেন্তে এই কমিটিৰেই বা প্ৰয়োজন ক'ত?

এই দুৰ্দশা অসমে আৰু কিমানদিন সহ্য কৰিব?

ৰাইজে ইতিমধ্যেই নিশ্চয় মন কৰিছে যে যোৱা কিছুদিন ধৰি অসমৰ বাতৰি কাকতবোৰ নিয়মিতভাৱে ওলাব পৰা নাই। যিমান কাকত ছপাব লাগে তাৰ আধাহে ছপোৱা সম্ভৱ হৈছে, পৃষ্ঠাৰ সংখ্যা মাজে মাজে হ্ৰাস কৰিবলগীয়া হৈছে। অৱস্থাই সম্প্ৰতি এনে ৰূপ লৈছে যে কিছুমান বাতৰি কাকতৰ প্ৰকাশ অনিৰ্দিষ্ট কালৰ কাৰণে বন্ধ হৈ যাব পাৰে। উদাহৰণ স্বৰূপে সাপ্তাহিক নীলাচলখন নিয়মীয়াভাৱে ওলোৱাৰ কোনো আশা নাই আৰু কেতিয়া উলিয়াব পৰা হ'ব তাৰো কোনো নিশ্চয়তা নাই।

কোৱা বাহুল্য মাথোন যে দেশৰ বাকী অংশৰ লগত অসমৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰাতোৱেই এনে অৱস্থা সৃষ্টি হোৱাৰ ঘাই কাৰণ। বিহাৰ আদি অঞ্চলত বানপানী হোৱাৰ ফলত দেশৰ বাকী অংশৰ লগত অসমৰ ৰেল আৰু পথ পৰিবহণ ব্যৱস্থা সম্পূৰ্ণভাৱে অচল হৈ পৰিছে। যাৰ ফলত যোৱা বহুদিন ধৰি বাহিৰৰ পৰা অসমলৈ কোনো বস্তু-বাহানী আহিব পৰা নাই। বাতৰি কাকত ছপাবৰ কাৰণে নিউজ প্ৰিণ্ট, স্পুল, চিঞাহী ইত্যাদিবোৰ বস্তু কলিকতাত স্তুপাকাৰ হৈ পৰি আছে। ৰাইজৰ নিত্য ব্যৱহাৰ্য্য চেনী, ডাইল, তেল, নিমখ আদি বস্তুবোৰো অসমলৈ আনিবৰ কাৰণে চৰকাৰে যথেষ্ট সংখ্যক ৰেলৰ দবাৰ যোগান ধৰিব পৰা নাই। তেনে অৱস্থাত বাতৰি কাকত ছপোৱাৰ সামগ্ৰী আনিব পৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। ফলত বাতৰি কাকতৰ প্ৰকাশ অনিৰ্দিষ্ট কালৰ কাৰণে বন্ধ কৰি দিয়াৰ বাহিৰে আমাৰ হাতত আৰু কি কোনো বিকল্প নাই।

একে আষাৰে ক'বলৈ গ'লে, এইটো এটা বৰ অসহনীয় অৱস্থা। যি সময়ত পৃথিৱীৰ পৰা মানুহে গৈ চন্দ্ৰত একাধিকবাৰ অৱতৰণ কৰিছে, জিপগাড়ী চলাইছে, মঙ্গল-শুক্ৰ আদি দূৰ-দূৰান্তৰ গ্ৰহত অৱতৰণ কৰাৰ স্বপ্ন দেখিছে, সেই সময়ত আমাৰ চৰকাৰে কোটি কোটি মানুহৰ জীৱন ধাৰণৰ কাৰণে প্ৰয়োজনীয় নিত্য ব্যৱহাৰ্য্য সামগ্ৰীখিনিৰ যোগান ধৰিব পৰাকৈয়ো পৰিবহণ ব্যৱস্থা অব্যাহত ৰাখিব পৰা নাই— ইয়াতকৈ লাজ আৰু পৰিতাপৰ কথা নিশ্চয় আন একো হ'ব নোৱাৰে। এনে অৱস্থা মাত্ৰ এবাৰ বা দুবাৰ হোৱা নাই। স্বাধীনতাৰ পিচত বছৰৰ পিচত বছৰ ধৰি এই অৱস্থা হৈ আহিছে। আকাশত মেঘে খিটিং কৰিলে দেশৰ বাকী অংশৰ লগত অসমৰ যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ যায়, বস্তুৰ দাম হু হুকৈ বাঢ়িবলৈ ধৰে। অৰ্থ-গৃধ্নু বেপাৰীবোৰে চৰকাৰৰ পৰোক্ষ সহযোগত বা চৰকাৰী নিষ্ক্ৰিয়তাৰ সুযোগ লৈ ৰাইজৰ বক্ত শোষণ কৰিবলৈ আৰম্ভ কৰে, কোটি কোটি মানুহ অনিশ্চিত বতৰ আৰু অসাধু ব্যৱসায়ীৰ মৰ্জিৰ ওপৰত অসহায়ভাৱে নিৰ্ভৰ হৈ আহিছে। এই অসহনীয় পৰিস্থিতিৰ স্থায়ী প্ৰতিকাৰৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা লোৱাৰ লক্ষণ ৰাইজে এতিয়ালৈকে দেখা নাই। এতিয়া অসমৰ ৰাইজৰ মনত এনেহে ধাৰণা হ'বলৈ আৰম্ভ কৰিছে যে ভাৰতৰ লগত অসমে ডিঙিত চিপজৰী বান্ধি আধা-মৰা অৱস্থাত ধৰফৰাই ওলোমি থাকিবলগীয়াটো অসমৰ কাৰণে কিবা এটা ডাঙৰ অভিশাপ মাত্ৰ। এই অৱস্থা আৰু কিছুদিন চলি থাকিবলৈ হ'লে অসমৰ মানুহে এই অভিশাপৰ পৰা মুক্ত হ'বলৈ নিজৰ ফালৰ পৰাই কিবা এটা চেষ্টা নিশ্চয় কৰিব লাগিব।

এতিয়া জানিব পৰা গৈছে যে অসমলৈ বস্তু-বাহানি আনিবৰ কাৰণে ভাৰত চৰকাৰে দয়া কৰি কেইটামান

ৰেলৰ দবা বেচিকৈ দিবলৈ সন্মত হৈছে। কিন্তু এনে জোৰা-তাপলি মৰা অস্থায়ী ব্যৱস্থাৰ দ্বাৰাই অসমৰ মানুহৰ পেট নভৰে, মনো নভৰে। আমি বিচাৰো যে ভাৰতে যদি অসমক নিজৰ লগত ৰাখিব খোজে বা অসমকো দেশৰ অন্যান্য ৰাজ্যৰ সমপৰ্য্যায়ৰ এখন ৰাজ্য বুলি গণ্য কৰে, তেন্তে দেশৰ বাকী অংশৰ লগত অসমৰ যোগাযোগ ব্যৱস্থাৰ এটা স্থায়ী আৰু সুদৃঢ় ভিত্তি নিৰ্মিত হ'ব লাগিব। ৰেল পৰিবহণৰ উন্নতিৰ কাৰণে অসম চৰকাৰে কৰা সকলো আবেদন-নিবেদন অৰণ্যৰোদনত পৰিণত হৈছে। ৰেল মন্ত্ৰীয়ে নিজে অসমলৈ আহি সকলো ব্যৱস্থা নিজ চকুৰে দেখিও আমাক কোনো স্পষ্ট আশ্বাস দিয়া নাই। তেওঁ বাৰে বাৰে কেৱল টকাৰ নাটনিৰ অজুহাত দেখুৱাইছে। বাংলাদেশৰ ভগনীয়াক পুহিবৰ কাৰণে ভাৰত চৰকাৰে লাগ বুলিলেই পাচ শ হাজাৰ কোটি টকা খৰচ কৰিব পৰা হ'ল, কিন্তু অসমৰ পৰিবহণ ব্যৱস্থাৰ উন্নতিৰ কাৰণে আজি পঁচিশ বছৰেও চৰকাৰে টকাৰ যোগান কৰিব নোৱাৰিলে। আজি এজাক বৰষুণতে অসমৰ এই অৱস্থা। কালিলৈ যদি পাকিস্তানে ভাৰত আক্ৰমণ কৰে তেতিয়া অসমৰ কি অৱস্থা হ'ব? তেতিয়া বোধহয় ১৯৬২ চনৰ চীনৰ আক্ৰমণৰ সময়ত ভাৰত চৰকাৰে শিলিগুৰিৰ পৰা বাকী সকলো পূব অঞ্চলক শত্ৰুৰ হাতত এৰি দিয়াৰ চিন্তা কৰিব।

অসম চৰকাৰকো এটা সতৰ্ক বাণী শুনোৱাৰ প্ৰয়োজন আছে। ভাত-কাপোৰ লাগে বুলি আন্দোলন কৰা ছাত্ৰক জেলত ভৰাই থবলৈ অসম চৰকাৰে যিভাবে আভ্যন্তৰিণ নিৰাপত্তা আইনৰ সহায় লৈছে, ৰাইজৰ মুখৰ ভাত হৰণ কৰা অসাধু, অৰ্থগৃধ্নু আৰু ৰক্ত-শোষক বেপাৰীক শাস্তি দিবলৈ কিন্তু আজিলৈকে এবাৰো সেই আইনৰ সহায় লোৱা নাই।* অসমৰ চৰকাৰ আৰু নেতাসকলে ৰেল মন্ত্ৰীক ছাত্ৰৰ বিক্ষোভৰ পৰা ৰক্ষা কৰিবলৈ যি তৎপৰতা দেখুৱাইছে, অসমৰ ৰাইজক বেপাৰীৰ শোষণৰ পৰা আৰু ব্যয়বস্তুৰ নাটনিৰ পৰা ৰক্ষা কৰিবলৈ কিন্তু তাৰ হাজাৰ ভাগৰ এভাগো তৎপৰতা দেখুওৱা নাই। ৰাইজে এইবোৰ কথা সতৰ্কভাৱে লক্ষ্য কৰি আছে।

যিহওক, কাগজৰ অভাৱত অহা সপ্তাহত আমি ৰাইজৰ হাতত আমাৰ কাকত তুলি দিব নোৱাৰিম। ভাত-পানীৰ দৰেই বাতৰি কাকতো আধুনিক জীৱন যাত্ৰাৰ অপৰিহাৰ্য্য অংগ। ভাৰতৰ কোনো ৰাজ্যতেই কাগজৰ অভাৱত বাতৰি কাকতৰ প্ৰকাশ বন্ধ হৈ যাবলগীয়া অৱস্থা হোৱা নাই। হৈছে কেৱল অসমত। তাৰ বাবে কোন দায়ী ৰাইজে নিজেই তাৰ বিচাৰ কৰক, তাৰ প্ৰতিকাৰৰ ব্যৱস্থা লওক। অসমৰ বাতৰি কাকত যদি নিয়মিতভাৱে চলি থাকিব লাগে আৰু তাৰ উন্নতি হ'ব লাগে, তেন্তে অসমত নিউজ প্ৰিণ্টৰ এটা ডিপু খোলাৰ একান্ত প্ৰয়োজন। নহ'লে এনে অসুবিধা হৈয়ে থাকিব। আমি অসম চৰকাৰক আৰু অসমৰ এম. পি.সকলক এই প্ৰস্তাৱটোৰ প্ৰতি জৰুৰীভাৱে মনোযোগ দিবলৈ আহ্বান জনালো।

* এই প্ৰবন্ধ লিখাৰ পিচত গুৱাহাটীৰ এক ব্যৱসায়ীক নিৰাপত্তা আইন যোগে আটক কৰা হৈছে।

সাপ্তাহিক নীলাচল, ১৫০ সংখ্যা ঃ ২২ চেপ্তেম্বৰ, ১৯৭১

পাঠ্য-পুথি ঃ অৰ্থ আৰু মোক্ষ

জাতি গঠনত পাঠ্য-পুথিৰ গুৰুত্ব যি মানুহে উপলব্ধি কৰিব নোৱাৰে, তেওঁ মূৰ্খ; যি মানুহে উপলব্ধি কৰিব নুখুজে, তেওঁ দুৰ্জন। সুলিখিত আৰু সুপৰিকল্পিত পাঠ্য-পুথিয়েই হ'ল শিক্ষা ব্যৱস্থাৰ মূল ভেটি। এই ভেটি নিৰ্মাণত ফাঁকি আৰু প্ৰবঞ্চনাৰ আশ্ৰয় ল'লে তাৰ ওপৰত শিক্ষা ব্যৱস্থাৰ কোনো স্থায়ী আৰু দৃঢ় সৌধ থিয় কৰাবলৈ আশা কৰিব নোৱাৰি। গতিকে পাঠ্য-পুথি প্ৰণয়নৰ লগতে সৎ আৰু যোগ্যতাসম্পন্ন লোক জড়িত থকাটো একান্তই অপৰিহাৰ্য্য।

পাঠ্য-পুথিৰ লগত দুটা বিষয় সদায় ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। এটা হ'ল পাঠ্য-পুথিৰ ব্যৱসায়ীৰ অৰ্থ-চিন্তা আৰু আনটো হ'ল শিক্ষাৰ্থীৰ মোক্ষ্য চিন্তা। অৰ্থাৎ তেওঁলোকৰ মানসিক বিকাশেই প্ৰথম আৰু প্ৰধান বিবেচ্য বিষয় হোৱা উচিত। কিন্তু সমাজত যদি এনে এটা ব্যৱস্থা চলিবলৈ হয়— যি ব্যৱস্থাত পাঠ্য-পুথি শিক্ষাৰ সৰ্ব-প্ৰধান উপকৰণ হোৱাৰ পৰিবৰ্তে ঘাইকৈ ব্যৱসায়ৰ সামগ্ৰীতহে পৰিণত হয়, আৰু সৰ্বশ্ৰেষ্ঠ ৰচনাতকৈ সৰ্বাধিক আৰ্থিক লাভেই তাৰ যোগ্যতা বিচাৰৰ প্ৰধান মাপ-কাঠী হয়, তেন্তে সেই সমাজ জহন্নামৰ দুৱাৰদলিত আহি উপস্থিত হৈছে বুলি ক'ব লাগিব।

অসমৰ পাঠ্য-পুথিৰ বজাৰ নীচ ব্যৱসায়িক প্ৰতিযোগিতা আৰু স্বাৰ্থ-বুদ্ধিৰ বিষাক্ত আবহাৱাৰে কলুষিত। কিছুমান অৰ্থলোভী ব্যৱসায়ী আৰু শিক্ষা-বিভাগৰ কিছুমান দায়িত্বহীন অৰ্থলোভী বিষয়াৰ গোপন এই কলুষিত আবহাৱাৰ প্ৰধান কাৰণ বুলি অনুমান কৰা হয়। এনে এটা পৰিবেশত এইবাৰ উচ্চ মাধ্যমিক শিক্ষা পৰিষদে পঞ্চম মান আৰু ষষ্ঠ মান শ্ৰেণীৰ কাৰণে এটা নতুন পদ্ধতিৰে নতুন পাঠ্য-পুথি প্ৰণয়নৰ কামত হাত দিছে। পৰিষদে বিভিন্ন বিষয়ৰ কাৰণে বিভিন্ন লিখকৰ পৰা পাঠ্য-পুথি আহ্বান কৰে। আন কথাত ক'বলৈ গ'লে লিখিকসকলৰ মাজত প্ৰতিযোগিতাৰ ব্যৱস্থা কৰা হয়। পাঠ্য-পুথিবোৰ পোৱাৰ পিছত কিছুমান নিৰ্বাচিত পৰীক্ষকক সেইবোৰ মূল্যায়ন কৰিবলৈ দিয়া হয়। পৰীক্ষকসকলৰ প্ৰতিবেদন পোৱাৰ পিছত পৰিষদৰ বাছনি কমিটিয়ে তাৰ ভিত্তিত চূড়ান্তভাৱে পাঠ্য-পুথি নিৰ্বাচন কৰে।

সন্দেহ নাই যে ই এটা খুব ভাল আৰু কাৰ্য্যকৰী পদ্ধতি। প্ৰতিযোগিতাৰ মাজেৰে পাঠ্য-পুথি নিৰ্বাচন কৰাৰ ফলত উৎকৃষ্ট পাঠ্য-পুথি পোৱাৰ আশা থাকে। পৰিষদৰ কৰ্ম-কৰ্তাসকলৰ সততা আৰু আন্তৰিকতা সম্পৰ্কেও কোনো সন্দেহ উঠা নাই। কিন্তু তথাপি যি বল্গাহীন জনৰৱ আৰু কণা-কণি কুৎসা ৰতনাৰ মাজত এই পাঠ্য-পুথিবোৰ লিখিত, পৰীক্ষিত আৰু নিৰ্বাচিত হ'ল, যি সমাজৰ সকলো মংগলকামী মানুহৰ মনতে নানা সন্দেহ আৰু দুঃচিন্তাৰ সৃষ্টি নকৰাকৈ থকা নাই। যোৱা কেইবছৰমান ধৰি অসমৰ পাঠ্য-পুথিৰ বজাৰ নানা ধৰণৰ জনৰৱ আৰু জল্পনা-কল্পনাৰে গৰম হৈ আছে। বেচি উল্লেখযোগ্য জনৰৱকেইটা হ'ল এই— (১) কেইজনমান প্ৰকাশকে ভেটি দি কোনো কোনো পৰীক্ষক আৰু পৰিষদৰ কৰ্মকৰ্তাক হাত কৰিবলৈ চেষ্টা কৰি আছে; (২) পৰিষদৰ কোনো কোনো সদস্যই গোপনীয়তাৰ শপত ভংগ কৰি নিজৰ বন্ধুভাজন প্ৰকাশকক অফিচৰ গোপন তথ্য আৰু খবৰ সৰবৰাহ কৰি আছে; (৩) কোনো কোনো লিখকে পাঠ্য-পুথি এখনৰ এটা অধ্যায়ো নিলিখাকৈয়ে বা তেনে পাঠ্য-পুথি এখন নেদেখাকৈয়ে দাক্ষিণ্যৰ বিনিময়ত নিজৰ নামটো লিখক হিচাবে ব্যৱহাৰ কৰিবলৈ ধাৰলৈ দিছে; (৪) চূড়ান্ত নিৰ্বাচনৰ সময়ত পৰীক্ষকসকলৰ মতামতক আওকাণ কৰি অন্যান্য বিবেচনাত দুই এখন কিতাপ পাঠ্য-পুথি হিচাবে মনোনীত কৰা হৈছে।

সূৰ্য্যৰ মুখত শোপা দিবলৈ অৰ্থাৎ ভিত্তিহীন জনৰবৰ প্ৰচাৰ বন্ধ কৰিবলৈ নিশ্চয় কাৰো সাধ্য নাই। গতিকে কেৱল জনৰবৰ ওপৰত ভিত্তি কৰি কোনো প্ৰকাশক, পৰীক্ষক বা পৰিষদক দোষী সাব্যস্ত কৰাটো অপৰাধৰ কাম হ'ব। কামৰ আচল বিচাৰ হয় তাঁৰ ফলৰ দ্বাৰাহে। পৰিষদে যদি একমাত্ৰ যোগ্যতাৰ মাপকাঠিৰে আদৰ্শ আৰু উপযুক্ত পাঠ্য-পুথি বাছি উলিয়াইছে, তেন্তে এই আটাইবোৰ জনৰব পৰশ্ৰীকাতৰ নিন্দুকৰ বিষোদগাৰ বুলি প্ৰমাণিত হ'ব আৰু পৰিষদ সকলোৰে প্ৰশংসাভাজন হ'ব। কিন্তু আনহাতে যদিহে উপযুক্ত কিতাপক তল পেলাই এখন নিকৃষ্ট কিতাপ পাঠ্য-পুথি ৰূপে মনোনীত হয়, তেন্তে মানুহৰ মনত নানা সন্দেহ নিশ্চয় ঘনীভূত হ'ব।

ইতিমধ্যে পৰিষদৰ নিৰ্বাচিত কিতাপৰ চূড়ান্ত তালিকা প্ৰকাশ পাইছে। এই আটাইবোৰ কিতাপ পঢ়ি নোচোৱাকৈ সেই বিষয়ে এতিয়াই কোনো মতামত প্ৰকাশ কৰা সম্ভৱ নহয়। কিন্তু যিসকল লোকে সমাজৰ মংগল চিন্তাৰ তাড়নাত এই গোটেই বিষয়টোৰ সম্পৰ্কে আৰম্ভণিৰ পৰাই খা-খবৰ ৰাখিবলৈ চেষ্টা কৰিছে, তেওঁলোকে পাঠ্য-পুথিৰ মনোনয়নৰ অভ্ৰান্ততা সম্পৰ্কে ইতিমধ্যে কিছু সন্দেহ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে। তেওঁলোকৰ আপত্তি কোনো ব্যক্তিগত দুষ্কৰ্মৰ বিৰুদ্ধে সিমান নহয়, যিমান সি অনুসৃত পদ্ধতিৰ বিৰুদ্ধে। প্ৰথমতঃ পাঠ্য-পুথিৰ কাৰণে পোৱা প্ৰায় ন শ কিতাপ যিসকল পৰীক্ষকক চাবলৈ দিয়া হৈছিল তেওঁলোকক খুব কম সময় দিয়া হৈছিল। ইমান কম সময়ৰ ভিতৰতে সকলো পৰীক্ষকেই খৰচি মাৰি কিতাপবোৰ পৰীক্ষা কৰিব পাৰিছেনে নাই সি এটা সন্দেহৰ কথা। দ্বিতীয়তে, পৰিষদে এই সম্পৰ্কে প্ৰয়োজনীয় গোপনীয়তা ৰক্ষা কৰিব পৰা নাই, ফলত কোনো কোনো প্ৰকাশকে কোনো কোনো পৰীক্ষকৰ জীৱন-দুৰ্বিসহ কৰি তুলিছিল বুলি আপত্তি শুনা গৈছে। আটাইতকৈ ডাঙৰ আপত্তি হ'ল এইটোৱে যে পাঠ্য-পুথি নিৰ্বাচনৰ ক্ষেত্ৰত পৰীক্ষকসকলৰ অভিমতকে চূড়ান্ত বা শেষ কথা বুলি গণ্য কৰা হোৱা নাই। পৰীক্ষকসকলে লিখা চিঠিত সেই কথা স্পষ্টভাৱেই লিখি দিয়া হৈছে। এতিয়া প্ৰশ্ন হ'ল পৰীক্ষকৰ মতামতেই যদি এই ক্ষেত্ৰত চূড়ান্ত বুলি বিবেচিত নহয়, তেন্তে কাৰ মতামতে প্ৰাধান্য লাভ কৰিব? নিশ্চয় পৰিষদৰ বাছনি কমিটিৰ। কিন্তু এজন পৰীক্ষকে এমাহ ধৰি কিতাপখন পৰীক্ষা কৰি যি ৰায় দিয়ে, বাছনি কমিটিৰ কেইজনমান সদস্যই মাত্ৰ কেইঘণ্টামান সাধাৰণভাৱে আলোচনা কৰিয়েই সেই ৰায় কেনেকৈ সলনি কৰিব পাৰে? যদি কৰে, তেন্তে তাৰ ভিত্তি বা মাপকাঠি কি হ'ব? যোগ্যতাৰ বাহিৰেও পাঠ্য-পুথি নিৰ্বাচনৰ আন কিবা মানদণ্ড আছে নেকি?

যিবোৰ পাঠ্য-পুথি ইতিমধ্যেই মনোনীত কৰা হ'ল, সেইবোৰৰ কেইখনমানৰ নিৰ্বাচনৰ যুক্তিযুক্ততা সম্পৰ্কে ইতিমধ্যে নানা প্ৰশ্ন উঠিছে। এনে এটা ধাৰণাৰ সৃষ্টি হৈছে যে মুঠ ন শ কিতাপৰ ভিতৰত মনোনীত হোৱা কিছুমান কিতাপতকৈ অধিক উপযুক্ত দুই এখন কিতাপ থকা অসম্ভৱ নহয়। এই আটাইবোৰ সন্দেহ দূৰ কৰিবৰ একমাত্ৰ উপায় হ'ল আটাইবোৰ পৰীক্ষক আৰু পৰিষদৰ বাছনি কমিটিৰ এখন যুটীয়া বৈঠক পাতি গোটেই বিষয়টো মুকলিভাৱে আলোচনা কৰা। পৰিষদৰ বাছনি কমিটিত অতিমাত্ৰাই চৰ্দাৰী কৰা এনে সদস্যও আছে যি হয়তো প্ৰবন্ধ-পাতি লিখাৰ নামত জীৱনত কলম ধৰিয়েই পোৱা নাই। নানা কাৰণত এনে সদস্যৰ মাতেই সকলোতকৈ ডাঙৰ। কিন্তু পাঠ্য-পুথি মনোনয়নৰ দৰে গুৰুত্বপূৰ্ণ কাম এটা এনে সদস্যৰ মৰ্জীৰ ওপৰতে এৰি দিব নোৱাৰি। গতিকে পাঠ্য-পুথিৰ মনোনয়নৰ বিষয়টোত সকলো প্ৰকাৰৰ সন্দেহৰ পৰা মুক্ত কৰিবৰ কাৰণে পৰিষদে আমাৰ ওপৰোক্ত পৰামৰ্শ গ্ৰহণ কৰি এনে এখন যুটীয়া অধিৱেশন অতি সোনকালেই আহ্বান কৰিব বুলি আশা কৰিলোঁ।

বিষয়টোৰ গুৰুত্বলৈ লক্ষ্য ৰাখি এই বিষয়ে এলানি আলোচনা অদূৰ ভৱিষ্যতত আমাৰ কাকতত প্ৰকাশ কৰা হ'ব।

পোন্ধৰজন মানুহ

চেনী, ডাইল, কেৰাচিন তেল, বেবীফুড— বজাৰত এতিয়া একো বস্তুৱেই সকলোকে জোৰাকৈ পাবলৈ নাই। কিন্তু ক'লা বজাৰত সেইবোৰ বস্তুৰ অভাৱ নাই। ছয় টকা দামৰ বেবীফুডৰ টিন কোনো দোকানতে পাবলৈ নাই, কিন্তু দহ টকা দামত কিনিব খুজিলে ক'লা বজাৰত যিমান লাগে সিমান কিনিব পাৰি। বেপাৰীসকলে কোৱা মতে সংযোগ-ব্যৱস্থা বিচ্ছিন্ন হোৱাৰ কাৰণেই যদি সেইবোৰ বস্তু অসমলৈ আনিব পৰা হোৱা নাই, তেন্তে ক'লা বজাৰত সেইবোৰ বস্তু কেনেকৈ উভৈনদী হৈ আছে? ক'লা বজাৰত যে সেইবোৰ বস্তু যিমান লাগে সিমান পোৱা যায় সেই কথা কোনোৱাই অস্বীকাৰ কৰিব পাৰিবনে?

কোনোবাই যদি ক'ব খোজে যে কিছুমান অসাধু বেপাৰীয়ে চৰকাৰৰ চকুত ধূলি মাৰি সেইবোৰ বস্তু আনি আছে আৰু দুগুণ-তিনিগুণ বেচি দামত বিক্ৰি কৰি আছে, তেন্তে তেওঁ মূৰ্খৰ বাহিৰে একো নহয়। তেওঁৰ অজ্ঞতা পুতৌৰ যোগ্য। বৰ্তমানৰ ব্যৱস্থাত চৰকাৰে নজনাকৈ বেপাৰীসকলে এনে কাম কৰাটো কোনো ৰকমেই সম্ভৱ নহয়। কিছুমান অৰ্থলোভী আৰু ৰাইজদ্ৰোহী চৰকাৰী বিষয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ সহায় নোপোৱাকৈ বেপাৰীসকলৰ পক্ষে এই ক'লা বজাৰখন জীয়াই ৰখা কোনো মতেই সম্ভৱ নহ'লহেঁতেন। আচল কথা হ'ল এয়েই যে গুৱাহাটীৰ মাত্ৰ পোন্ধৰজন ব্যৱসায়ীয়ে গোটেই অসমৰ বয়-বস্তুৰ বজাৰখন নিয়ন্ত্ৰণ কৰিছে আৰু অসম চৰকাৰক পুতলাৰ দৰে নচুৱাইছে। ইচ্ছা কৰিলে এই পোন্ধৰজন ব্যৱসায়ীয়ে এদিনৰ ভিতৰতে গোটেই অসমৰ মুকলি বজাৰৰ পৰা সকলোবোৰ নিত্য-ব্যৱহাৰ্য্য বয়-বস্তু নোহোৱা কৰি দিব পাৰে, এগুণৰ ঠাইত দহ গুণ দাম ল'ব পাৰে, গোটেই ৰাজ্যখনৰ মানুহক খাবলৈ নিদি শুকুৱাই মাৰিব পাৰে। একে আষাৰ কথাতে ক'বলৈ গ'লে এই পোন্ধৰজন ব্যৱসায়ীয়ে অসমত এখন সমান্তৰাল চৰকাৰ চলাই আছে। এই সমান্তৰাল চৰকাৰৰ আঙুলিৰ নিৰ্দেশতেই অসম চৰকাৰ উঠা-বহা কৰে। যোৱা আগষ্ট মাহত যেতিয়া ৰাজ্য জুৰি বয়-বস্তুৰ চৰম অনাটনে দেখা দিলে, তেতিয়া অসম চৰকাৰৰ যোগান মন্ত্ৰীয়ে বয়-বস্তুৰ মূল্য-নিয়ন্ত্ৰণৰ আৰু উচিত বিতৰণৰ ব্যৱস্থা ল'লে বেপাৰীসকলৰ প্ৰতিনিধিক ১১ আগষ্ট তাৰিখে চিলঙলৈ নিমন্ত্ৰণ কৰি মাতি নিলে আৰু তেওঁলোকক হাত যোৰ কৰি অনুৰোধ কৰিলে তেওঁলোকে যেন নিজে নিজেই নিত্য-ব্যৱহাৰ্য্য বয়-বস্তুৰ এটা উচিত মূল্য বান্ধি দিয়ে। বেপাৰীসকলে গুৱাহাটীলৈ ঘূৰি আহি নিজৰ ভিতৰতে আলোচনা কৰি এটা 'উচিত' মূল্য বান্ধি দিলে আৰু কামৰূপৰ উপায়ুক্তই সেই মূল্য তালিকাৰ 'ডটেদ লাইনতে' নিজৰ দস্তখতটো দি চৰকাৰী বিষয়াৰ কৰ্তব্য পালন কৰিলে। দুদিনমানৰ কাৰণে সেই মূল্য মতেই কিছু কিছু বস্তু পোৱা গ'ল। কিন্তু এতিয়া আকৌ হাঁহাকাৰ। মুকলি বজাৰত একো বস্তুৱেই পাবলৈ নাই, কিন্তু ক'লা বজাৰত সকলো বস্তু উভৈনদী।

যি পোন্ধৰজন বেপাৰীয়ে অসম চৰকাৰক নাকত ধৰি চাকত ঘূৰাইছে অৰ্থাৎ পুতলাৰ দৰে নচুৱাইছে আৰু কোটি কোটি মানুহৰ জীৱন-মৰণ লৈ খেলা কৰিছে, তেওঁলোকক শাসন কৰিবৰ উপায় কি? দুটাই মাত্ৰ উপায় আছে। হয় নিত্য-ব্যৱহাৰ্য্য বয়-বস্তুৰ ব্যৱসায় চৰকাৰে সম্পূৰ্ণৰূপে নিজৰ হাতলৈ নিব লাগিব, অৰ্থাৎ খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ কৰিব লাগিব, অথবা গ্ৰাহকসকলে সংঘবদ্ধ হৈ সমবায় ভাণ্ডাৰৰ যোগেদি

প্ৰতিবিধ বস্তুকে সুলভ আৰু যুক্তি-সঙ্গত মূল্যত বিক্ৰী কৰি পৰোক্ষভাৱে মূল্য নিয়ন্ত্ৰণৰ চেষ্টা কৰিব লাগিব। খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ 'সমাজবাদী' কংগ্ৰেছৰ দহ-দফীয়া কাৰ্য্যসূচীৰ অন্যতম ঘোষিত লক্ষ্য। কিন্তু এই লক্ষ্য সাধনৰ কাৰণে কামত আগবঢ়া দূৰৰ কথা কোনেও এষাৰো মাত মতাও আমি শুনিবলৈ পোৱা নাই। গ্ৰাহকক সংঘবদ্ধ প্ৰচেষ্টা বা সমবায় আন্দোলনৰ বিষয়ে কেৱল ইমানকে ক'লেই যথেষ্ট হ'ব যে এই আন্দোলনে দিনে দিনে শক্তিপ্ৰাপ্ত হৈ একচেটিয়া খাদ্য-ব্যৱসায়ীৰ অপৰিমেয় লোভ আৰু দুষ্কৃতিক বাধা দিয়া দূৰৰ কথা, বিৰাট আড়ম্বৰ আৰু হৈ-চৈৰে আৰম্ভ কৰা গুৱাহাটীৰ 'গ্ৰাহক সমবায় চোচাইটি আৰু সহায়িকা' নামৰ সমবায় ভাণ্ডাৰখনো বন্ধ কৰিহে দিব লগা অৱস্থা হৈছে। কেৱল গুৱাহাটীৰে নহয়, সমগ্ৰ অসমৰে সমবায় আন্দোলনৰ আজি একেই মৃত-প্ৰায় অৱস্থা। স্বৰ্গীয় চলিহা মুখ্যমন্ত্ৰী হৈ থকা কালত মই এবাৰ তেওঁৰ সাক্ষাৎকাৰ লওঁতে তেওঁক প্ৰশ্ন কৰিছিলোঁ— 'মুখ্যমন্ত্ৰী হিচাবে আপোনাৰ কাৰ্য্যকালত আটাইতকৈ ডাঙৰ কৃতকাৰ্য্যতা কি বুলি আপুনি ভাবে? তেওঁ উত্তৰ দিছিল— 'সমবায় আন্দোলনৰ প্ৰসাৰ আৰু পঞ্চায়ত-ৰাজৰ প্ৰতিষ্ঠা।' আত্ম-প্ৰতাৰণাৰ ইয়াতকৈ ডাঙৰ আৰু নিকৰুণ নিদৰ্শন আন কিবা আছে বুলি মই নাভাবোঁ। সি যি কি নহওক, মূল্য নিয়ন্ত্ৰণৰ আটাইতকৈ যিটো সম্ভৱ আৰু কাৰ্য্যকৰী উপায়— সেই সমবায় আন্দোলনো আজি সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে। এই ব্যৰ্থতাৰ এটা ডাঙৰ কাৰণ নিশ্চয় সমবায় আন্দোলনৰ নেতা আৰু কৰ্মীসকলৰ অযোগ্যতা, অসততা আৰু দুৰ্নীতি-পৰায়ণতা। কিন্তু তাতোকৈ ডাঙৰ কাৰণ হ'ল চৰকাৰৰ শত্ৰুতা। এটা কথা পাহৰিব নালাগিব যে সমবায় আন্দোলন হ'ল একচেটিয়া ব্যৱসায়ীৰ লগত হোৱা এখন সমুখ সমৰ। ৰাইজক প্ৰতাৰণা কৰিবৰ কাৰণে চৰকাৰে বাহিৰত দেখুৱাই সমবায় আন্দোলনক উৎসাহ দিয়ে, কিন্তু যিহেতু তেওঁলোকৰ আচল মিতিৰালি ব্যৱসায়ীসকলৰ লগতহে সেই কাৰণে তেওঁলোকে কৰা প্ৰত্যেকটো কামকে সমবায় আন্দোলনক ধ্বংস কৰিবৰ কাৰণহে কৰে। এহাতে তেওঁলোকে সমবায় চোচাইটি আৰু সমবায় ভাণ্ডাৰ খুলিবলৈ ৰাইজক উচটাই দিয়ে, আনহাতে সমবায় ভাণ্ডাৰৰ বিৰুদ্ধে একচেটিয়া ব্যৱসায়ীক সকলো প্ৰকাৰে সহায় কৰে। আমাৰ এই অভিযোগ কেৱল অনুমানৰ ওপৰত কৰা ভিত্তিহীন অভিযোগ নহয়; এই অভিযোগৰ সত্যতা প্ৰমাণ কৰিবলৈ আমাৰ হাতত যথেষ্ট সমল আছে।

মূল্য নিয়ন্ত্ৰণ কৰিবলৈ বা সুলভ মূল্যত বস্তুৰ যোগান দিবলৈ চৰকাৰৰ ইচ্ছাও নাই, শক্তিও নাই। খাদ্য ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ এটা অলীক স্বপ্ন মাত্ৰ। আনহাতে মূল্য-বৃদ্ধিৰ প্ৰতিৰোধ কৰিবলৈ গ্ৰাহকৰ হাতত যি একমাত্ৰ উপায় আছে সেই সমবায় ব্যৱসায়ো দিনে দিনে শক্তিবন্ত হোৱা দূৰৰ কথা, একশ্ৰেণীৰ সমবায় কৰ্মীৰ অসাধুতা আৰু চৰকাৰৰ প্ৰচ্ছন্ন শত্ৰুতাৰ দুমুখীয়া আক্ৰমণৰ মাজত পৰি সি মৃত্যুৰ ক্ষণ গণিছে। এনে অৱস্থাত ৰাইজৰ পৰিত্ৰাণৰ উপায় কি? গুৱাহাটীৰ পোন্ধৰজন ব্যৱসায়ীয়ে অসমৰ এককোটি মানুহৰ ৰক্ত শোষণ কৰি নিজৰ উদৰ স্ফীত কৰিব আৰু দেশৰ চৰকাৰে আৰু জনসাধাৰণে নীৰৱ নিষ্ক্ৰিয় দৰ্শক হৈ চাই থাকিব- এয়েই কি আমাৰ একমাত্ৰ ভাগ্যলিপি?

মাধ্যমিক শিক্ষা পৰিষদ

যোৱা কিছুদিন ধৰি মাধ্যমিক শিক্ষা পৰিষদ ৰাজহুৱা বিতৰ্ক আৰু আলোচনাৰ বিষয় হৈ পৰিছে। অৱশ্যে এই হঠাৎ জাগ্ৰত হোৱা কৌতূহল কোনো স্থায়ী আৰু গভীৰ শিক্ষা-সচেতনতাৰ পৰিণতি নহয়। ই এটা আকস্মিক ঘটনা মাত্ৰ। অহা বছৰৰ পৰা নতুন পাঠ্যক্ৰম অনুসৰি নতুন পাঠ্যপুথি প্ৰচলন কৰিবলৈ গৈ মাধ্যমিক শিক্ষা পৰিষদে কদোৰ বাহত জুই দিলে। তাৰ ফল স্বৰূপেহে মাধ্যমিক শিক্ষা পৰিষদৰ নাম এই কেইদিন মানুহৰ মুখে মুখে বাগৰিছে। নহ'লে শিক্ষাৰ দৰে এটা নিৰীহ আৰু সাধাৰণ বিষয় সম্পৰ্কে চিন্তা কৰি মূৰ ঘমাবলৈ আমাৰ দেশৰ মানুহে বৰ বেচি প্ৰয়োজন অনুভৱ নকৰে।

সি যি কি নহওক, পাঠ্যপুথি নিৰ্বাচন সম্পৰ্কীয় বিতৰ্কখনে সৰ্ব-সাধাৰণ ৰাইজকো অন্ততঃ এই বিষয়ে সচেতন কৰি তুলিছে যে মাধ্যমিক শিক্ষা পৰিষদৰ কাম-কাজ সম্পৰ্কে ৰাইজেও কিছু খবৰ ৰখা দৰকাৰ আৰু সেই বিষয়ে চিন্তা কৰা দৰকাৰ। মাধ্যমিক শিক্ষা পৰিষদে এনে কিছুমান কাম কৰি আছে আৰু ভৱিষ্যতেও কৰিব লাগিব— যিবোৰ কামে আমাৰ সমগ্ৰ সমাজৰ ভৱিষ্যতৰ ৰূপ বহু পৰিমাণে নিৰূপিত কৰিব। সকলোৰে দৃষ্টিৰ অলক্ষিতে এই পৰিষদে সমাজৰ ভৱিষ্যতৰ ভেটি নিৰ্মাণ কৰি আছে। এনে এটা গুৰুত্বপূৰ্ণ কামত যিখন অনুষ্ঠানক নিয়োজিত কৰা হৈছে সেই অনুষ্ঠানৰ কাম-কাজৰ প্ৰতি উদাসীন হৈ থকাটো আত্ম-হননৰহে নামান্তৰ হ'ব।

ই এটা স্বতঃসিদ্ধ কথা যে কেৱল উদ্দেশ্য বা উপায় ভাল হ'লেই কোনো এটা কাম সাফল্যমণ্ডিত হৈ উঠিব নোৱাৰে; ভাল উদ্দেশ্য আগত ৰাখি ভালভাৱে কামটো সম্পাদন কৰিবলৈ কাম কৰা মানুহবোৰো যোগ্য হ'ব লাগিব। উদ্দেশ্যৰ সততা আৰু মানুহৰ যোগ্যতা— এই দুটাৰ মিল হ'লেহে যি কোনো কামত কৃতকাৰ্য্যতা আশা কৰিব পাৰি। আমাৰ দেশৰ বেচিভাগ কাম-কাজতেই সাধাৰণতে এই দুটাৰ মিল নঘটে। কেতিয়াবা পৰিকল্পনা এটা শুদ্ধভাৱে তৈয়াৰ কৰিবলৈ বা কামৰ লক্ষ্য বা পদ্ধতি ঠিক কৰিবলৈ সিমান যত্ন লোৱা নহয়। আমাৰ দেশৰ বেচিভাগ চৰকাৰী আৰু সামাজিক কাম-কাজৰ বিফলতাৰ ইয়েই এটা প্ৰধান কাৰণ। তদুপৰি আমাৰ দেশৰ বেচিভাগ মানুহৰ এটা ডাঙৰ মানসিক ৰোগ হ'ল অত্যধিক ক্ষমতাৰ মোহ আৰু স্বজন-প্ৰিয়তা। নিজৰ যোগ্যতা থাকক বা নাথাকক বেচিভাগ মানুহেই যেন তেন প্ৰকাৰেণ ক্ষমতাৰ পদ এটা দখল কৰিবলৈ প্ৰাণান্তকৰ চেষ্টা কৰে। বেচিভাগ সময়তে তাৰ কাৰণে চক্ষু-লজ্জাও বিসৰ্জন দিয়ে। দ্বিতীয়তে, যৌথ-পৰিয়ালভিত্তিক আমাৰ সমাজত পৰম্পৰাগতভাৱে প্ৰায় সকলো মানুহৰে আত্মীয়-প্ৰীতি আৰু আত্মীয়ৰ প্ৰতি আনুগত্যৰ ভাব অতি প্ৰবল। আত্মীয়ৰ প্ৰতি আনুগত্য আৰু সমাজৰ প্ৰতি আনুগত্য— এই দুটাৰ ভিতৰত ভাৰতৰ মানুহে প্ৰায়েই আত্মীয়ৰ প্ৰতি আনুগত্যক আগ ঠাই দিয়ে। সামাজিক দায়িত্বৰ কাৰণে যোগ্য মানুহ বাছি উলিওৱাত এইবোৰ কথায়ো যথেষ্ট সমস্যাৰ সৃষ্টি কৰে। কাৰণ সামাজিক মঙ্গলবোধৰ দ্বাৰা উদ্বুদ্ধ হৈ কোনো মন্ত্ৰীয়ে হয়তো ৰাইজৰ উপকাৰত আহিব পৰা এখন ভাল কাৰ্য্যসূচী হাতত ল'লে, কিন্তু ক্ষমতাৰ মোহত তাৰ দায়িত্ব দিলে কিছুমান ধামা-ধৰা মানুহৰ হাতত, অথবা অত্যধিক আত্মীয়-প্ৰীতিৰ বশৱৰ্তী হৈ তাত সুমুৱাই দিলে নিজৰ লগা-ভগা কিন্তু সকলো প্ৰকাৰে অযোগ্য কেতবোৰ

মানুহক। ফলত আঁচনি হিচাবে নিখুঁত হোৱা সত্ত্বেও সেই কাৰ্য্যসূচীয়ে অভিপ্ৰেত ফল প্ৰসব কৰিব নোৱাৰিলে। আমাৰ দেশত বেচিভাগ কাম-কাজ বিফল হোৱাৰ ইয়েই হ'ল এটা প্ৰধান কাৰণ।

কিন্তু এহো বাহ্য। আমি আলোচনা কৰিব খুজিছিলোঁ মাধ্যমিক শিক্ষা পৰিষদৰ সম্পৰ্কে। মাধ্যমিক শিক্ষা পৰিষদৰ কেতবোৰ কাম-কাজৰ বেমেজালিৰ কাৰণ বিশ্লেষণ কৰিবলৈ গৈ আমি দেখিছোঁ যে তাৰ মূল কাৰণ পৰিষদৰ গাঁথনিৰ মাজত নিহিত আছে। অসমৰ শিক্ষাখণ্ডৰ ই এখন স্বায়ত্ত শাসিত অনুষ্ঠান। প্ৰতিজন শিক্ষাবিদেই স্বীকাৰ কৰে যে শিক্ষা সম্পৰ্কীয় নীতি আৰু পদ্ধতি নিৰূপণ কৰা অনুষ্ঠানবোৰ চৰকাৰৰ পোনপটীয়া প্ৰভাৱ আৰু নিয়ন্ত্ৰণৰ পৰা মুক্ত হৈ চলিব লাগে। তদুপৰি তাত মুক্ত আৰু মৌলিক চিন্তাৰ বিকাশৰ অৱকাশ থাকিব লাগে। অসমৰ মাধ্যমিক শিক্ষা পৰিষদৰ গাঁথনিটো বিশ্লেষণ কৰি চালে দেখা যায় যে ই নামতহে স্বায়ত্ত শাসিত অনুষ্ঠান, কামত ই এটা চৰকাৰী অনুষ্ঠান মাত্ৰ। এই পৰিষদৰ মুঠ কুৰিজন সদস্যৰ ভিতৰত দহজনেই হ'ল পদেন সদস্য, অৰ্থাৎ চৰকাৰী বিষয়া। তেওঁলোক হ'ল ডি.পি.আই, অতিৰিক্ত ডি.পি.আই, উচ্চ শিক্ষা বিভাগৰ সঞ্চালক, কাৰিকৰী শিক্ষা বিভাগৰ সঞ্চালক, স্বাস্থ্য বিভাগৰ সঞ্চালক, উদ্যোগ বিভাগৰ সঞ্চালক, কটন কলেজৰ অধ্যক্ষ, মেঘালয়-মণিপুৰ আৰু নেফাৰ শিক্ষা বিভাগৰ সঞ্চালক, মেঘালয়ৰ শিক্ষা বিভাগৰ অতিৰিক্ত সঞ্চালক আৰু অসমৰ স্ত্ৰী-শিক্ষা বিভাগৰ সহকাৰী সঞ্চালক। দহজন হ'ল চৰকাৰৰ মনোনীত সদস্য। তেওঁলোক হ'ল— স্কুলসমূহৰ এজন পৰিদৰ্শক, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এজন অধ্যক্ষ, দুজন হাইস্কুলৰ প্ৰধান শিক্ষক, ছোৱালী হাইস্কুলৰ এজন প্ৰধান শিক্ষয়িত্ৰী, উচ্চ মাদ্ৰাছাৰ এজন অধীক্ষক, দুখন বিশ্ববিদ্যালয়ৰ দুজন প্ৰতিনিধি, বি.টি. আৰু পলিটেকনিক স্কুলৰ একোজনকৈ অধ্যক্ষ। পৰিষদে তিনিজন বিশিষ্ট শিক্ষাবিদক সদস্য হিচাপে নিৰ্বাচিত কৰি লয়। বৰ্তমান পৰিষদে নিৰ্বাচন কৰি লোৱা তিনিজন শিক্ষাবিদ হ'ল— ডঃ হিৰণ্য চন্দ্ৰ ভূঞা (অসমৰ বিখ্যাত বিজ্ঞান শিক্ষক, কটন কলেজৰ ভূতপূৰ্ব অধ্যক্ষ, শিক্ষাবিদ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য), শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী (নলবাৰী কলেজৰ ভূতপূৰ্ব অধ্যক্ষ, ইংৰাজী সাহিত্যৰ বিখ্যাত অধ্যাপক, লব্ধপ্ৰতিষ্ঠ শিক্ষাবিদ আৰু সমালোচক, সাহিত্য অকাডেমীৰ পুৰস্কাৰ প্ৰাপক আৰু অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি) আৰু শ্ৰীভগৱান চন্দ্ৰ লহকৰ (গুৱাহাটী কমাৰ্চ কলেজৰ অধ্যাপক)।

এই তালিকাখন বিশ্লেষণ কৰি নেদেখুৱালেও পাঠকসকলে বুজিব পাৰিব যে স্বায়ত্ত শাসিত বুলি কোৱা এই পৰিষদত চৰকাৰী বিষয়াৰ প্ৰাচুৰ্য্য ইমান বেচি যে ইয়াত শিক্ষা বিষয়ক মুক্ত চিন্তাৰ অৱকাশ নিচেই কম— নাই বুলিলেই হয়। ই আচলতে আমোলাতন্ত্ৰ বা চৰকাৰী শিক্ষা বিভাগৰেই এটা ছদ্মবেশী সম্প্ৰসাৰণ মাত্ৰ। আগতে এই পৰিষদত সদৌ অসম হাইস্কুল শিক্ষক সন্মিলনৰ দুজন প্ৰতিনিধি থকা নিয়ম আছিল। পিচত সেই নিয়মো উঠাই দি চৰকাৰে নিজৰ পছন্দ মতে প্ৰধান শিক্ষক মনোনীত কৰাৰ নিয়ম কৰিলে। যি উদ্দেশ্য আগত ৰাখি চৰকাৰে বিভাগীয় সঞ্চলকসকলক পৰিষদৰ সদস্য কৰাৰ নিয়ম কৰিছিল সেই উদ্দেশ্যও অকণো সাধিত হোৱা নাই। পৰিষদৰ বৈঠকত হাজিৰা দিয়াৰ বাহিৰে চৰকাৰী কৰ্মভাৰ-পীড়িত এই বিষয়াসকলে অসমৰ শিক্ষা বিষয়ক চিন্তা-চৰ্চালৈ তিলমানো বৰঙণি দিছে বুলি তেওঁলোকৰ বিশুদ্ধ ভাবকসকলেও নিশ্চয় ক'ব নোৱাৰে। পৰিষদৰ কাম-কাজৰ লগত যদি কৃষি, স্বাস্থ্য, উদ্যোগ আদি বিষয়বোৰৰ বিশেষজ্ঞ জড়িতই থাকিব লাগে, তেন্তে মেডিকেল কলেজ আৰু ইঞ্জিনীয়াৰিং কলেজৰ প্ৰতিনিধি থকাটোৱেই অধিক বাঞ্ছনীয়। মুঠতে এই পৰিষদত স্বাধীন আৰু মৌলিক চিন্তাৰ কোনো অৱকাশ নাই; আৰু নাই মাধ্যমিক শিক্ষাৰ বাস্তৱ

অভিজ্ঞতাৰ লগত কোনো সম্পৰ্ক। বাট্ৰাণ্ড ৰাছেলে কৈছিল— "শিক্ষকসকলেহে ল'ৰা-ছোৱালীবোৰক লগা কথাবোৰৰ বিষয়ে অতি ভালকৈ জানে। তেওঁলোকেহে ল'ৰা-ছোৱালীবোৰৰ লগত দৈনন্দিন সম্পৰ্ক কৰি সিহঁতৰ যত্ন লৈ থাকিব লগা হৈছে। কিন্তু সিহঁতক কি শিকোৱা উচিত আৰু কেনেকৈ শিকোৱা উচিত— সেইবিলাক বিষয় যিসকলে স্থিৰ কৰে তেওঁলোক শিক্ষক নহয়। শিক্ষানুষ্ঠানত শিক্ষাদান কৰা ব্যৱসায়টোৰ কাৰণে যিখিনি স্বাধীনতা আছে তাতোকৈ বহুত বেচি স্বাধীনতা থকা উচিত। সি আমোলা-তন্ত্ৰৰ সমৰ্থকসকলৰ হকা-বধাৰ পৰা বেচিকৈ মুক্ত থকা উচিত। ৰোগীক কেনেকৈ চিকিৎসা কৰা উচিত সেই বিষয়ত চিকিৎসকসকলক চিকিৎসাৰ লগত সম্পৰ্ক নথকা মানুহবিলাকৰ কৰ্তৃত্বাধীন কৰাত আমাৰ যুগৰ কোনো মানুহে সন্মতি নিদিব। দৰবৰ উদ্দেশ্য হৈছে ৰোগীক ৰোগ-মুক্ত কৰা। কিন্তু চিকিৎসকে যেতিয়া দৰবৰ উদ্দেশ্যটো ত্যাগ কৰি আইনমতে দণ্ডনীয় কাম কৰে, তেতিয়া অৱশ্যে তেওঁলোকক চিকিৎসাৰ লগত সম্পৰ্ক নথকা মানুহৰো কৰ্তৃত্বাধীন কৰাত সন্মতি দিয়া হয়। শিক্ষকসকলো এবিধ চিকিৎসক। তেওঁলোকৰ উদ্দেশ্য হৈছে ল'ৰাক ল'ৰালি ৰোগৰ পৰা মুক্ত কৰা। কিন্তু এই উদ্দেশ্য সিদ্ধিৰ অৰ্থে কোনবিলাক প্ৰণালী আটাইতকৈ উপযুক্ত তাক অভিজ্ঞতাৰ ভেটিত তেওঁলোকক স্থিৰ কৰি ল'বলৈ দিয়া নহয়।" ৰাছেলৰ কথাখিনি পঢ়ি এনেহে ধাৰণা হয় যেন তেওঁ অসমৰ মাধ্যমিক শিক্ষা পৰিষদৰ কথা চিন্তা কৰিয়েই আগতীয়াকৈ এইবোৰ কথা কৈ গৈছিল।

মুঠতে আমাৰ বক্তব্য এয়েই যে অসমৰ মাধ্যমিক শিক্ষা পৰিষদখন স্বাধীন আৰু মৌলিক চিন্তাৰ মূল সুঁতিৰ পৰা বিচ্ছিন্ন হৈ এটা আমোলা-তান্ত্ৰিক মৰা সুঁতিত পৰিণত হৈছে। শিক্ষাৰ সুস্থ বিকাশৰ কাৰণে সংশ্লিষ্ট আইনখন সংশোধন কৰি পৰিষদখন নতুনকৈ গঠন কৰিব লাগে। পৰিষদত শিক্ষা সম্পৰ্কীয় মৌলিক আৰু স্বাধীন চিন্তাৰ লগত বাস্তৱ অভিজ্ঞতাৰ উপযুক্ত সমন্বয় ঘটিব লাগে। সেই উদ্দেশ্যেৰে পৰিষদৰ শিক্ষা-প্ৰশাসক বা শিক্ষা বিভাগৰ আমোলাতকৈ প্ৰকৃত শিক্ষক আৰু শিক্ষাবিদৰ প্ৰতিনিধিত্ব বেচিকৈ থাকিব লাগে। তাকে নকৰালৈকে মাধ্যমিক শিক্ষা পৰিষদখনক স্বায়ত্ত শাসিত অনুষ্ঠান বুলি ঘোষণা কৰাৰ কোনো যুক্তি থাকিব পাৰে বুলি আমি নাভাবো।

তদন্ত আয়োগ

বিচমাৰ্কে কৈছিল— 'যেতিয়া চৰকাৰে কয় যে আমি এই বিষয়টো বিবেচনা কৰি আছো, তাৰ দ্বাৰা কেৱল এইটোকে বুজোৱা হয় যে সেই বিষয়টো সম্পৰ্কে চৰকাৰৰ একো কৰিবলৈ মতলব নাই।' অসম চৰকাৰৰ তদন্ত আয়োগবোৰৰ সম্পৰ্কেও ঠিক একে কথাকে ক'ব পাৰি। যেতিয়াই অসম চৰকাৰে কিবা এটা প্ৰশাসনীয় ব্যৰ্থতা বা দুৰ্নীতি সম্পৰ্কে অনুসন্ধান কৰিবলৈ তদন্ত আয়োগ নিয়োগ কৰে, তেতিয়াই ৰাইজে ধৰি লয় যে এই বিষয়টো সম্পৰ্কে চৰকাৰে কস্মিন কালেও কোনো কাৰ্য্য-ব্যৱস্থা লোৱাৰ আশা নাই। অসম চৰকাৰে এতিয়ালৈকে নিয়োগ কৰা প্ৰায় প্ৰতিটো তদন্ত আয়োগৰ প্ৰতিবেদনৰ শেষ পৰিণতি মনত পেলালেই এই কথাৰ সত্যতা ওলাই পৰে। ১৯৫৮ চনৰ কেৰাচিন তেলৰ কৃত্ৰিম নাটনিৰ বিষয়ে হোৱা তদন্ত, কৃষি-বিভাগৰ পাইপ বিক্ৰীৰ বিষয়ে 'ৰামলাভাইয়া আয়োগে' কৰা তদন্ত, যোৰহাটৰ সাম্প্ৰদায়িক অশান্তি সম্পৰ্কে তদন্ত, ১৯৬৮ চনৰ ২৬ জানুৱাৰী তাৰিখে গুৱাহাটীত হোৱা অশান্তি আৰু ধ্বংস-যজ্ঞ সম্পৰ্কে তদন্ত, ইত্যাদি— যিমানবোৰ বিষয়ে তদন্ত আয়োগ গঠন কৰা হ'ল, সেইবোৰৰ প্ৰতিবেদনৰ ওপৰত কোনো ব্যৱস্থাতো গ্ৰহণ কৰা নহ'লেই, আনকি তদন্ত আয়োগৰ প্ৰতিবেদনবোৰো জনসাধাৰণৰ পৰা সম্পূৰ্ণ গোপন কৰি ৰখা হ'ল। ফলত ৰাইজৰ মনত এই ধাৰণা আজি বদ্ধমূল হৈ পৰিছে যে তথাকথিত তদন্ত আয়োগবোৰ ৰাইজৰ চকুত ধূলি মাৰি প্ৰকৃত সত্যক গোপন কৰিবলৈ চৰকাৰে অবলম্বন কৰা এটা কূটকৌশলৰ বাহিৰে আন একো নহয়। কোনো কোনো তদন্ত আয়োগৰ প্ৰতিবেদন ৰাজহুৱাভাৱে প্ৰকাশ কৰিব নোৱাৰাৰ যুক্তি দেখুৱাই চৰকাৰে ক'ব খোজে যে সেইবোৰ প্ৰকাশ কৰিলে, আভ্যন্তৰীণ শান্তি আৰু নিৰাপত্তা বিপন্ন হ'ব পাৰে, বা ৰাজহুৱা স্বাৰ্থত সেইবোৰ প্ৰতিবেদন প্ৰকাশ কৰা উচিত নহয়। উদাহৰণ স্বৰূপে ১৯৬৮ চনৰ ২৬ জানুৱাৰী তাৰিখে গুৱাহাটীত হোৱা অশান্তি সম্পৰ্কে তদন্ত আয়োগৰ প্ৰতিবেদন এনে এখন দলিল যিখন প্ৰকাশ কৰাটো ৰাজহুৱা স্বাৰ্থৰ ফালৰ পৰা সমীচিন নহয়। চৰকাৰৰ এই সিদ্ধান্তৰ প্ৰকৃত উদ্দেশ্য আৰু যুক্তি-যুক্ততা আছে; তথাপি যদি তৰ্কৰ খাতিৰত মানিও লোৱা যায় যে এই বিশেষ প্ৰতিবেদনখন সম্পৰ্কে চৰকাৰৰ সিদ্ধান্তই শুদ্ধ, কিন্তু অন্যান্য বহুতো তদন্ত আয়োগৰ প্ৰতিবেদনবোৰ প্ৰকাশ নকৰা সম্পৰ্কে চৰকাৰে কি যুক্তি দিব পাৰে? ১৯৫৮ চনত কেৰাচিন তেলৰ কৃত্ৰিম নাটনিৰ কাৰণ অনুসন্ধান কৰিবলৈ যি তদন্ত আয়োগ নিয়োগ কৰা হৈছিল, সেই আয়োগৰ প্ৰতিবেদন প্ৰকাশ কৰিলে, কেনেধৰণৰ ৰাজহুৱা স্বাৰ্থ বা আভ্যন্তৰীণ নিৰাপত্তা বিপন্ন হ'লহেঁতেন? সেই তদন্ত আয়োগে হয় ব্যৱসায়ীমহলক দোষী সাব্যস্ত কৰিছিল, অথবা চৰকাৰৰ প্ৰশাসন ব্যৱস্থাক দুৰ্নীতিগ্ৰস্ত বুলি ৰায় দিছিল। চৰকাৰে কাক ৰক্ষা কৰিবলৈ সেই তদন্ত আয়োগৰ প্ৰতিবেদন জনসাধাৰণৰ পৰা গোপন কৰিছিল?

প্ৰত্যেকটো কথাৰেই এটা সীমা থকা উচিত। সেই সীমা লংঘন কৰিলে বিপদ অনিবাৰ্য্য। সাধুকথাৰ গৰখীয়া ল'ৰাটোৱে মিছাকৈ বাঘ বাঘ বুলি চিঞৰাত ৰাইজে তাক ৰক্ষা কৰিবলৈ দৌৰি গ'ল; কিন্তু গৈ দেখিলে— বাঘ নাই। দ্বিতীয়বাৰো সি মিছাকৈয়ে বাঘ বাঘ বুলি ৰাইজক অনাহকত ঢপলিয়াই মাৰিলে। কিন্তু তৃতীয়বাৰ সঁচাকৈয়ে যেতিয়া বাঘে তাক আক্ৰমণ কৰিলে, আৰু সহায় বিচাৰি সি চিঞৰি উঠিল, সি পুনৰ মিছা মাতিছে বুলি ভাবি কোনোৱে তাক ৰক্ষা কৰিবলৈ আগবাঢ়ি নগ'ল। এই কথা ঠিক যে প্ৰায় সকলো শাসক আৰু চৰকাৰে আত্মৰক্ষাৰ কাৰণে নানা মিথ্যা ভাৱণ আৰু কূটকৌশলৰ আশ্ৰয় লয়। গণতান্ত্ৰিক চৰকাৰসমূহে সঘনে ব্যৱহাৰ কৰা এই এটা ডাঙৰ কূটকৌশল হ'ল নানাবিধ বিশেষজ্ঞ সমিতিৰ

আৰু তদন্ত আয়োগৰ নিযুক্তি। কেইটামান সাধাৰণ মনস্তাত্ত্বিক সত্যৰ ওপৰত ভিত্তি কৰি চৰকাৰে সাধাৰণতে এই উপায়বোৰ অৱলম্বন কৰে। তাৰে এটা হ'ল এই যে ৰাজহুৱা স্মৰণ-শক্তি অতি ক্ষণস্থায়ী; দ্বিতীয়টো হ'ল— মন খুলি কথা ক'বলৈ সুবিধা পালে খং-ৰাগ আদি মানসিক উত্তেজনাবোৰ বহু পৰিমাণে প্ৰশমিত হৈ থাকে আৰু বেছিভাগ মানুহৰেই কামতকৈ কথাৰ প্ৰতি আগ্ৰহ বেছি। মানুহৰ এই অপৰিমেয় বাক্-প্ৰীতিক প্ৰাচীন এথেন্সৰ গণ পৰিষদ আৰু ইম্পেৰিয়েল ৰুমৰ চিনেটৰ পৰা আৰম্ভ কৰি আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ব্যৱস্থাপক সভা আৰু বাতৰি কাকত আদি বিভিন্ন অনুষ্ঠানৰ জৰিয়তে কামৰ বিকল্প আৰু ক্ৰোধ নিৰ্গমণৰ প্ৰসস্ত পথ হিচাবে ব্যৱহাৰ কৰা হৈ আহিছে। সন্দেহ নাই যে অসম চৰকাৰৰ তদন্ত আয়োগবোৰো জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ ব্যৱহাৰ কৰা একোটা কৌশল মাত্ৰ। যেতিয়াই কোনো এটা প্ৰশাসনীয় ব্যৰ্থতা বা দুৰ্নীতিৰ বিৰুদ্ধে ৰাইজৰ অভিযোগ সৰব হৈ উঠে, তেতিয়াই ভুকিব ধৰা কুকুৰৰ মুখলৈ মাংসৰ হাড় এডাল দলি মাৰি দি তাৰ মুখ বন্ধ কৰাৰ দৰে চৰকাৰে তদন্ত আয়োগ এটা পাতি দি ৰাইজক শান্ত কৰে। তদন্ত আয়োগৰ কাম শেষ হয় মানে ইতিমধ্যে বহুত সময় পাৰ হৈ যায়। চৰকাৰে ধৰিয়েই লয় যে যিহেতু ৰাজহুৱা স্মৰণ শক্তি অতি ক্ষণস্থায়ী, অতএব তদন্ত আয়োগৰ কাম শেষ হ'বলৈ যিখিনি সময় লাগে সেই সময়ৰ ভিতৰতে ৰাইজে মূল কথাটো পাহৰিয়েই যায় বা তেওঁলোকৰ ক্ৰোধৰ উত্তেজনা বহুখিনি হ্ৰাস পায়। এই সুবিধা লৈয়ে চৰকাৰে তদন্ত আয়োগৰ প্ৰতিবেদন হয় গোপন কৰি পেল্লায় নহয়বা সেই সম্পৰ্কে বাতৰি কাকত আৰু বিধান সভাত কিছু বিতৰ্কৰ সুবিধা দি ৰাইজৰ মানসিক উত্তেজনা প্ৰশমিত হোৱালৈ অপেক্ষা কৰে। মুঠতে অতীতৰ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে চৰকাৰে তদন্ত আয়োগ নিযুক্ত কৰাৰ উদ্দেশ্য সত্যৰ সনুসন্ধানো নহয়, বা দোষীক শাস্তি দিয়াও নহয়; ইয়াৰ একমাত্ৰ উদ্দেশ্য হ'ল মনস্তাত্ত্বিক কৌশলেৰে ৰাইজৰ ক্ৰোধৰ উত্তেজনা শান্ত কৰি চৰকাৰৰ নিজৰ দোষ গোপন কৰা আৰু দোষী মন্ত্ৰী আৰু বিষয়াৰ ৰক্ষণাবেক্ষণ দিয়া এনে কৌশলো চেফ্‌টি ভালভৰ কাম কৰি চৰকাৰক কিছুদিনলৈ নিশ্চয় সহায় কৰিব পাৰে। কিন্তু চৰকাৰে এটা কথা মনত ৰখা উচিত যে এনে মিথ্যাশ্ৰিত কূট-কৌশলৰ কাৰ্য্যকাৰিতা নিতান্তই সীমাবদ্ধ। ৰাইজে যেতিয়া দেখিব যে প্ৰত্যেক তদন্ত আয়োগৰ প্ৰতিবেদনৰে অন্তিম আশ্ৰয় হ'ল পেলনীয়া কাকতৰ খৰাহী, চৰকাৰে প্ৰত্যেকখন তদন্ত আয়োগ পাতে, শেহত গৈ তাৰ প্ৰতিবেদন বা পৰামৰ্শ প্ৰত্যাখ্যান কৰিবলৈহে, সত্যক উদ্‌ঘাটন কৰাৰ পৰিবৰ্তে সত্যক গোপন কৰাই হ'ল চৰকাৰে তদন্ত আয়োগ নিয়োগ কৰাৰ একমাত্ৰ উদ্দেশ্য, তেতিয়া ৰাইজে স্বাভাবিকতে এদিন চৰকাৰৰ সততা আৰু গণতান্ত্ৰিক কাৰ্য্যব্যৱস্থাৰ ওপৰত সকলো আস্থা হেৰুৱাই পেলাব আৰু অন্যায়-অবিচাৰৰ প্ৰতিকাৰৰ কাৰণে বিকল্প পন্থা বিচাৰিবলৈ বাধ্য হ'ব। অসম চৰকাৰে নিজৰ সন্দেহজনক আচৰণৰ দ্বাৰা তেনে এটা দিনৰ আগমন ত্বৰান্বিত কৰি তুলিছে বুলি আমাৰ ধাৰণা হৈছে।

যোৱা কেইদিনমানৰ ভিতৰত অসম চৰকাৰে নিযুক্ত কৰা দুখন তদন্ত কমিটিৰ প্ৰতিবেদন প্ৰকাশ পাইছে; তাৰে এখন ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ কাম-কাজ সম্পৰ্কে, আন এখন গুৱাহাটী মহানগৰীত মাটি বিতৰণৰ ক্ষেত্ৰত উত্থাপিত নানান দুৰ্নীতিৰ অভিযোগ সম্পৰ্কে। দুয়োখন প্ৰতিবেদনত মন্ত্ৰী আৰু বিষয়াৰ কাম-কাজৰ চোকা সমালোচনা কৰা হৈছে। চৰকাৰে আগতে বহুবাৰ কৰি অহাৰ দৰে এইবাৰো যদি কোনো কাৰ্য্য-ব্যৱস্থা গ্ৰহণ নকৰি প্ৰতিবেদন দুখন গাপ দি থয়, আৰু দোষী লোকসকলৰ শাস্তিৰ ব্যৱস্থা নহয়, তেন্তে বুজিব লাগিব যে এই চৰকাৰৰ দ্বাৰা অন্যায় আৰু দুৰ্নীতিৰ প্ৰতিকাৰ হোৱাৰ কোনো আশা নাই। সত্যৰ সমাধিৰ ওপৰত প্ৰতিষ্ঠিত এই চৰকাৰে তেতিয়া নিজৰ দুষ্কাৰ্য্যৰ কাৰণে এদিন নহয় এদিন চৰম প্ৰায়শ্চিত্ত কৰিবই লাগিব।

বাংলাদেশৰ স্বাধীনতা সংগ্ৰামৰ শিক্ষা

প্ৰায় সাত মাহ ধৰি চলা বাংলাদেশৰ স্বাধীনতা সংগ্ৰাম কেতিয়া আৰু কেনেকৈ শেষ হয়, সি এতিয়াও সম্পূৰ্ণ অনিশ্চিত। এই সম্পৰ্কে ইতিমধ্যে কৰা সকলো ভৱিষ্যৎ বাণীয়েই মিছা বুলি প্ৰমাণিত হৈছে। যোৱা ১৫ মাৰ্চৰ দিনা বাংলাদেশে বিদ্ৰোহ ঘোষণা কৰাৰ লগে লগেই দুটা ভৱিষ্যত বাণী বৰকৈ শুনা গৈছিল। সামৰিক বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছিল যে বাংলাদেশৰ মুক্তি যোদ্ধাসকলৰ আটাইতকৈ ডাঙৰ মিত্ৰ হ'ল 'জেনেৰেল মনচুন'। অৰ্থাৎ পূৰ্ব-বংগৰ মৌচুমি প্লাৱন। বৰ্ষা কালত পূৰ্ব-বংগৰ অজস্ৰ সৰ্পিল নদ-নদী যেতিয়া ফেনেফোটোকাৰে বাঢ়ি আহি গোটেই দেশখনকে এখন সৰু-সুৰা সাগৰত পৰিণত কৰিব, তেতিয়া ইয়াহিয়া খানৰ সৈন্য বাহিনীয়ে পলাবলৈ পথ বিচাৰি নাপাব আৰু বৰ্ষাৰ প্লাৱনত সকলোৰে শলীল সমাধি ঘটিব। অৰ্থাৎ বাৰিষা শেষ হোৱাৰ আগে আগেই বাংলাদেশে স্বাধীনতা লাভ কৰিব। অৰ্থনীতিজ্ঞসকলে যোগ-বিয়োগ কৰি দ্ব্যৰ্থহীন ভাষাৰে ঘোষণা কৰিছিল যে তিনি মাহৰ ভিতৰতে পশ্চিম পাকিস্তানৰ অৰ্থনীতি সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হ'ব আৰু ফলস্বৰূপে সামৰিক শাসকবৰ্গই মুক্তিযোদ্ধাসকলৰ ওপৰত নতিস্বীকাৰ কৰিবলৈ বাধ্য হ'ব। কোৱাবাহুল্য মাথোন যে এই দুটাৰ এটাও নঘটিল।

অৱশ্যে ইতিমধ্যে অনেক প্ৰত্যাশিত ঘটনা ঘটি গৈছে। যোৱা সাত মাহৰ ভিতৰত পাকিস্তানৰ সৈন্য বাহিনীয়ে বাংলাদেশৰ দহ লাখ নৰ-নাৰীক হত্যা কৰিছে আৰু ৯৫ লাখ মানুহক ভাৰতলৈ খেদি পঠিয়াই এই দেশৰ অৰ্থনীতিৰ ওপৰত এটা দুৰ্বহ বোজা জাপি দিছে। পাকিস্তানে অকল্পনীয় সন্ত্ৰাসৰ ৰাজত্ব সৃষ্টি কৰি বাংলাদেশৰ মুক্তি যুদ্ধক কেই সপ্তাহমানৰ ভিতৰতে মষিমূৰ কৰি দিয়াৰ স্বপ্ন বিফল হৈছে। বাংলাদেশৰ গৰিলা মুক্তি বাহিনী কেইহাজাৰমানৰ পৰা বাঢ়ি গৈ এতিয়া এক লাখত পৰিণত হৈছে আৰু এই এক লাখ গৰিলা বাহিনীয়ে বাংলাদেশৰ চুকে-কোণে বিয়পি পৰি এক মৰণ-পণ স্বাধীনতা সংগ্ৰমাত লিপ্ত হৈছে। পাকিস্তানে বাংলাদেশৰ মুক্তি যুদ্ধক ভাৰত আৰু পাকিস্তানৰ সংঘৰ্ষ ৰূপে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰি দুই দেশৰ মাজত যুদ্ধ প্ৰায় অনিবাৰ্য্য কৰি তুলিছে। এতিয়া দুটা সম্ভাৱনা প্ৰায় স্পষ্ট হৈ উঠিছে— হয় যিকোনো মুহূৰ্ততে ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধৰ দাবানল জ্বলি উঠিব আৰু তাৰ পৰিণামস্বৰূপে পাকিস্তানে বাংলাদেশ ত্যাগ কৰি বিশ্বৰ আগত প্ৰচাৰ কৰিব যে ভাৰতৰ হস্তক্ষেপৰ কাৰণহে পাকিস্তানে বাংলাদেশ হেৰুৱাব লগা হ'ল— বাংলাদেশৰ জনসাধাৰণৰ মুক্তি যুদ্ধৰ কাৰণে নহয়; অথবা বিশ্বৰ জনমতৰ হেঁচাত পাকিস্তানে শেখ মজিবুৰ ৰহমানৰ লগত ২৫ মাৰ্চ তাৰিখে আধৰুৱা হৈ থকা আলাপ আলোচনা পুনৰ আৰম্ভ কৰিবলৈ আৰু তথাকথিত ৰাজনৈতিক সমাধানৰ কাৰণে চেষ্টা কৰিবলৈ বাধ্য হ'ব। খুব সম্ভৱ ভাৰতৰ প্ৰাক্তন সেনাধ্যক্ষ জেনেৰেল চৌধুৰীৰ ভৱিষ্যত বাণীয়ে শেষত গৈ সঁচা বুলি প্ৰমাণিত হ'ব— বাংলাদেশ এদিন নিশ্চয় স্বাধীন হ'ব, কিন্তু সেই স্বাধীনতা আহিব পাকিস্তানে ভবাতকৈ বহু আগতে আৰু মুক্ত বাহিনীয়ে ভবাতকৈ বহু পিচত।

বাংলাদেশৰ মুক্তি যুদ্ধৰ শেষ পৰিণতি যিয়েই নহওক, ইতিমধ্যে কিন্তু সি কেইটামান কথা প্ৰমাণ কৰি দেখুৱাইছে তাৰ ভিতৰত আটাইতকৈ ডাঙৰ কথা হ'ল এই যে আন্তৰ্জাতিক ৰাজনীতিত আদৰ্শৰ কোনো স্থান নাই; Balance of Power বা শক্তিৰ ভাৰসাম্যৰ স্থূল প্ৰয়োজনেই এতিয়াও তাৰ প্ৰধান নিয়ামক শক্তি। এই ক্ষেত্ৰত গণতন্ত্ৰী আমেৰিকা বা সাম্যবাদী চীনৰ কোনো তফাত নাই। আজি সাত মাহ ধৰি অপৰিমেয় ৰক্ত ক্ষয় আৰু দুখ-ভোগৰ মাজেদি বাংলাদেশৰ মানুহে পূৰ্ণ স্বাধীনতাৰ প্ৰতি নিজৰ জ্বলন্ত কামনাৰ কথা

প্ৰমাণ কৰা সত্ত্বেও পৃথিৱীৰ কোনো এখন দেশেই বাংলাদেশৰ স্বাধীনতাৰ দাবীক স্বীকাৰ কৰি ল'বলৈ সন্মত হোৱা নাই; সকলোৱে বিচাৰে পাকিস্তানৰ অখণ্ডতা ৰক্ষা। আনকি যি ৰাছিয়া আজি ভাৰতৰ ঘনিষ্ঠতম বন্ধু বুলি পৰিগণিত হৈছে সেই ৰাছিয়ায়ো এইক্ষেত্ৰত ভাবিব নোৱাৰা ভণ্ডামীৰ আশ্ৰয় লৈছে। ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী গ্ৰিগমিয়োকাই কেইমাহমান আগতে ভাৰতলৈ আহি এই দেশৰ নেতৃবৰ্গৰ লগত আলাপ-আলোচনাৰ অন্ততঃ যিখন ইস্তাহাৰ প্ৰকাশ কৰিছিল, তাত বাংলাদেশৰ নাম ভাৰতৰ হৈঁচাত পৰি উল্লেখ কৰা হৈছিল, পূৰ্ববংগ বুলি; কিন্তু সেই একে ইস্তাহাৰৰে ৰাছিয়ান ভাষাত যি প্ৰতিলিপি প্ৰকাশ কৰা হৈছে তাত বাংলাদেশৰ কথা উল্লেখ কৰা হৈছে পূৰ্ব-পাকিস্তান বুলি। অৰ্থাৎ ৰুছিয়াৰে অন্তৰত একান্ত ইচ্ছাটো হ'ল পাকিস্তানৰ অখণ্ডতা ৰক্ষা। যি আমেৰিকা আৰু গ্ৰেট বৃটেইন আদি দেশসমূহে নিজকে গণতন্ত্ৰৰ ধ্বজাবাহী বুলি বৰাই কৰে, সেই সকলোবোৰ দেশৰে আন্তৰিক সমৰ্থন হ'ল জেনেৰেল ইয়াহিয়া খানৰ প্ৰতি। যি ইয়াহিয়া খানে বাংলাদেশত গণতন্ত্ৰক জীয়াই জীয়াই কবৰ দিছে। যি চীন দেশে নিজকে পৃথিৱীৰ শোষিত আৰু পদদলিত মানুহৰ ত্ৰাণকৰ্তা বুলি জাহিৰ কৰে, সেই চীন দেশৰো সমস্ত ইচ্ছা আৰু শুভইচ্ছা সংৰক্ষিত হৈ আছে পাকিস্তানৰ একনায়কত্ববাদী সামৰিক শাসক বৰ্গৰ প্ৰতি, যি শাসক বৰ্গ হ'ল পাকিস্তানৰ আটাইতকৈ নিষ্ঠুৰ আৰু দুৰ্বিনীত শোষক শ্ৰেণীৰ সোতৰটা উদ্যোগপতি পৰিয়াল আৰু তেওঁলোকৰ আলধৰা আমোলাতন্ত্ৰ প্ৰতিভূ মাত্ৰ। যি মুছলিম ৰাষ্ট্ৰসমূহৰ কণ্ঠ মুছলিমৰ বিশ্বভাতৃত্বৰ নামত আবেগৰ বাষ্পৰুদ্ধ হৈ পৰে, সেই মুছলিম ৰাষ্ট্ৰবোৰকো বাংলাদেশৰ লক্ষ লক্ষ নীৰিহ, নিৰপৰাধ মুছলমানৰ নিৰ্মম হত্যাই তিলমানো বিচলিত কৰিব পৰা নাই; তেওঁলোকে বৰং আল্লাৰ পবিত্ৰ নামত আৰু লক্ষ্য লক্ষ্য মুছলমানক হত্যা কৰিবলৈ পাকিস্তানক সাহায্য দিবলৈহে প্ৰস্তুত। দেখা গৈছে যে হজৰত মহম্মদ, কাৰ্লমাৰ্ক্স, আব্ৰাহাম লিংকন— কাৰো বাণীতেই স্বাধীনতা আৰু মানবীয় মৌলিক অধিকাৰৰ কাৰণে সংগ্ৰাম কৰা বাংলাদেশৰ শোষিত আৰু পদদলিত মানুহবোৰৰ কাৰণে বিন্দুমাত্ৰ প্ৰশ্ৰয়ৰ ইংগিত নাই; সকলোৰে আশীৰ্বাদ বৰ্ষিত হৈছে কেৱল গণতন্ত্ৰ হন্তা ৰক্তলোলুপ ইয়াহিয়া খানৰ শিৰত।

ইয়াৰ কাৰণ কি? কিয় সমগ্ৰ পৃথিৱী বাংলাদেশৰ আশা-আকংক্ষাৰ প্ৰতি এনে নিৰ্লজ্জভাৱে সহানুভূতিহীন? ইয়াৰ একমাত্ৰ কাৰণ এয়েই যে বিশ্বৰ প্ৰত্যেকখন দেশেই মুখেৰে যিমানেই আদৰ্শৰ মন্ত্ৰ উচ্চাৰণ নকৰক কিয়— পেটে পেটে সকলোৱে শক্তিৰ ভাৰসাম্য বিনষ্ট হোৱাৰ ভয়ত অস্থিৰ। বাংলাদেশ যদি স্বাধীন হয়, তেন্তে দ্বিখণ্ডিত পাকিস্তান নিশকটীয়া হৈ এচিয়াৰ ৰাজনীতিত ন-ধৰ্তব্য হৈ পৰিব আৰু ফলস্বৰূপে ভাৰতৰ শক্তি এতিয়াতকৈ বহুগুণে বৃদ্ধি পাব। পৃথিৱীৰ কোনো দেশেই সেইটো নিবিচাৰে। আমেৰিকা, ৰাছিয়া, চীনেও নিবিচাৰে। বাংলাদেশৰ চাৰে সাত কোটি মানুহ জহন্নামে যাওক, গণতন্ত্ৰৰ জীৱন্ত সমাধি হওক, কোটি কোটি মানুহৰ মৌলিক অধিকাৰ ৰক্ত লোলুপ সৈনিকৰ পদতলত মৰিমূৰ হওক, সমগ্ৰ সভ্য জগতে সেইবোৰলৈ ভ্ৰুক্ষেপ নকৰে। তেওঁলোকে মাত্ৰ বিচাৰে পাকিস্তানৰ অখণ্ডতা ৰক্ষা, অৰ্থাৎ শক্তিৰ ভাৰসাম্য।

বাংলাদেশৰ স্বাধীনতা যুদ্ধই এতিয়ালৈকে এই কথাই মাত্ৰ প্ৰমাণ কৰিছে যে উনৈশ শতিকাৰ শক্তিৰ ভাৰসাম্যৰ নীতিৰ পৰা আধুনিক জগত বৰ বেছি আগবাঢ়ি যাব পৰা নাই আৰু ভণ্ডামী এতিয়াও সভ্য জীৱন ধাৰাৰ অপৰিহাৰ্য্য অংগ। দ্বিতীয়তে, আন্তৰ্জাতিকতাৰ আদৰ্শ এতিয়াও এটা মৰীচিকা মাত্ৰ; কমিউনিষ্ট-অকমিউনিষ্ট সকলো ৰাষ্ট্ৰই ঘোৰতৰ জাতীয়তাবাদৰ উপাষক। তৃতীয়তে, বেছিভাগ মানুহৰ চকুতেই এতিয়াও তেজ-মঙহৰ মানুহতকৈ প্ৰতীকৰ মূল্য বহুত বেচি। বহুতো ভাৰতীয় মুছলমানে বাংলাদেশৰ স্বাধীনতা সংগ্ৰামৰ ঘোৰ বিৰোধিতা কৰে আৰু পাকিস্তানক সমৰ্থন কৰে, কাৰণ পাকিস্তান তেওঁলোকৰ কাৰণে এটা আইডিয়া, এটা প্ৰতীক; আনহাতে সেই দেশৰ লক্ষ্য লক্ষ্য মানুহ তুচ্ছ মৰণশীল মানুহ মাত্ৰ।

পদ্মনাথ গোহাঞিবৰুৱা

পদ্মনাথ গোহাঞিবৰুৱা আছিল অসম সাহিত্য সভাৰ প্ৰথম সভাপতি। আধুনিক সাঁচৰ সৰ্ব-প্ৰথম অসমীয়া উপন্যাস 'ভানুমতী' আৰু অমিত্ৰাক্ষৰ ছন্দত পোনপ্ৰথম অসমীয়া খণ্ড-কাব্যখনো 'লীলা' ৰচনা কৰিছিল তেৱেঁই। সকলো ভাৰতীয় লিখকৰ ভিতৰত পদ্মনাথেই সাহিত্য-সেৱাৰ কাৰণে সেই সময়ৰ বিদেশী শাসকৰ পৰা পোনপ্ৰথমে সাহিত্যিক পেন্সন লাভ কৰিছিল। পদ্মনাথ আছিল একাধাৰে কবি, নাট্যকাৰ,ঔপন্যাসিক, সাংবাদিক; প্ৰবন্ধকাৰ, পাঠ্য-পুথিৰ প্ৰণেতা, সমাজসেৱক, বুৰঞ্জীবিদ আৰু দাৰ্শনিক। অসমীয়া সাহিত্য সাধনা আৰু সংস্কৃতি চৰ্চাৰ বিভিন্ন ক্ষেত্ৰত পদ্মনাথ আছিল পথিকৃৎ। কোনো এটা দিশতেই হয়তো তেওঁ কালজয়ী আৰু অবিনাশী ফচল এৰি থৈ যাব পৰা নাছিল, কিন্তু বহুতো ক্ষেত্ৰত তেওঁ নতুন নতুন সৃষ্টিৰ বীজ সৰ্ব-প্ৰথম ৰোপণ কৰিছিল আৰু তাৰে সঁচ লৈয়ে পিচৰ চামৰ লেখকে অসমীয়া সাহিত্য সৃষ্টিৰ পথাৰখন নানাবিধ শস্যৰে জাতিষ্কাৰ কৰিছিল। ১৮৯০ চনৰ পৰা ১৯৬৪ পৰ্যন্ত সুদীৰ্ঘ ৫৬ বছৰ জুৰি অসমীয়া জাতীয় জীৱন আৰু সাহিত্য-সাধনাৰ এনে এটা ক্ষেত্ৰ নাছিল য'ত পদ্মনাথৰ কৰ্ম-সাধনা আৰু অস্তিত্ব অনুভূত নোহোৱাকৈ আছিল। যিসকল লোকে অক্লান্ত পৰিশ্ৰম আৰু সাধনাৰ দ্বাৰা আধুনিক অসমৰ সাংস্কৃতিক ভেটি নিৰ্মাণ কৰি থৈ গৈছে, সেইসকলৰ ভিতৰত পদ্মনাথৰ নাম নিঃসন্দেহে অগ্ৰগণ্য।

অসমীয়া লিখকৰ মাপকাঠিৰে জুখিবলৈ গ'লে পদ্মনাথৰ সাহিত্য সৃষ্টিৰ পৰিমাণ আছিল বিশাল। এনে কিছুমান লোক থাকে যিসকলৰ কাৰণে সাহিত্য চৰ্চা ধৰ্মানুশীলনৰ বিকল্প মাত্ৰ। সাহিত্য চৰ্চাৰ কাৰণে তেওঁলোক জীয়াই থাকে আৰু সাহিত্য চৰ্চাৰ মাজতেই তেওঁলোকে জীয়াই থকাৰ সাৰ্থকতা বিচাৰি পায়। এনে ধৰ্ম-নিষ্ঠাৰে সাহিত্য চৰ্চা কৰা লোক আছিল পদ্মনাথ গোহাঞিবৰুৱা। অৱশ্যে তেওঁ লিখি থৈ যোৱা কিতাপ-পত্ৰ পঢ়িবলৈ আধুনিক পাঠকসকলৰ ভিতৰত কিমানে আগ্ৰহ অনুভৱ কৰে সি এটা সন্দেহৰ বিষয়। তেওঁ সৃষ্টিধৰ্মী লিখক নাছিল। সমালোচক বা মৌলিক চিন্তাশীল লিখক হিচাপেও তেওঁ আধুনিক পাঠকৰ বিশেষ মনোযোগ দাবী কৰিব নোৱাৰে। অসমীয়া ভাষা-সাহিত্যলৈ পদ্মনাথৰ আটাইতকৈ ডাঙৰ দান হ'ল এই ভাষাই আধুনিক ৰূপ ল'বৰ সময়ত তাৰ শুদ্ধ গঠন আৰু বিকাশৰ কাৰণে তেওঁ কৰা আশাসুধীয়া আৰু ফলপ্ৰসু চেষ্টা। তেওঁ এই কাম কৰিছিল ঘাইকৈ নীতিশিক্ষা (আদিছোৱা, মাজছোৱা আৰু শেষছোৱা) নামৰ এলানি সু-পৰিকল্পিত আৰু সুলিখিত পাঠ্য-পুথিৰ জৰিয়তে। অসমৰ পঢ়াশালীবোৰত বহু বছৰ ধৰি এই পাঠ্য-পুথিকেইখন চলিছিল আৰু সি সেই সময়ৰ অসমৰ শিক্ষা-ব্যৱস্থাৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনটো পূৰ্ণ কৰিছিল। এই কথা ক'লে বোধহয় বঢ়াই কোৱা নহ'ব যে পানীন্দ্ৰনাথ গগৈৰ 'ল'ৰা-শিক্ষা' আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ 'নীতি-শিক্ষা' পঢ়ি অসমীয়া 'ভাষা-সাহিত্য' শিকা মানুহখিনিয়েই আধুনিক অসমীয়া ভাষাৰ বৰ্তমানৰ সবল-সুঠাম ৰূপটো সৃষ্টি কৰি থৈ গৈছে। সকলোৰে অলক্ষিতে মাটিত কেনেকৈ সাৰ জমা হয় তাৰ খবৰ কোনেও নাৰাখে, সকলোৰে দৃষ্টি আকৃষ্ট হয় সেই সাৰুবান মাটিত লহপহকৈ বাঢ়ি অহা গছ পুলিটোৰ প্ৰতিহে। ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰতো সেই একে কথাই প্ৰয়োজ্য। ভাষা-ৰূপী ক্ষেত্ৰখন সাৰুৱা নহ'লে তাত বলিষ্ঠ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। বিবিধ উপাদানেৰে অসমীয়া ভাষাক উৰ্বৰ আৰু সৃষ্টিক্ষম

কৰি তুলিবলৈ যিসকল লোকে অপৰিসীম নিষ্ঠাৰে চেষ্টা কৰিছিল সেই সকলৰ ভিতৰত পদ্মনাথৰ নাম আটাইতকৈ আগশাৰীত। আজিকালি আমাৰ জাতীয় জীৱনৰ পৰা বিদেশী ভাষাক দূৰ কৰি তাৰ ঠাইত মাতৃভাষাক তাৰ প্ৰাপ্য স্থান দিবলৈ সকলোৱে উঠি পৰি চেষ্টা কৰিছে। কিন্তু আজিৰ পৰা বহু বছৰৰ আগতে যেতিয়া এই দেশত ইংৰাজী ভাষাৰ অবাধ ৰাজত্ব চলিছিল, সেই সময়ত পদ্মনাথে মাতৃ ভাষাক তাৰ প্ৰাপ্য মৰ্য্যদাৰ আসন দিয়াত আগভাগ লৈছিল। ১৯০৫ চনত স্থাপিত সেই সময়ৰ অসমৰ প্ৰধান জাতীয় অনুষ্ঠান আসাম এছোচিয়েচনৰ কাম-কাজ সদায় ইংৰাজী ভাষাতেই চলিছিল। কিন্তু বৰপেটাত বহা তাৰ শেহতীয়া অধিবেশনৰ সভাপতি হিচাবে পদ্মনাথ গোহাঞিবৰুৱাই সৰ্বপ্ৰথমে অসমীয়া ভাষাতে ভাষণ দি নিজৰ ভাষা সম্পৰ্কে দেশবাসীৰ মনত গৌৰব-বোধ জগাই তুলিছিলি আৰু মাতৃ-ভাষাৰ যোগেদিয়ে চিন্তা-চৰ্চা কৰিবলৈ সকলোকে উদ্‌গনি দিছিল। পদ্মনাথৰ ভাষা-প্ৰেম, সাহিত্য-নিষ্ঠা আৰু অসমীয়া ভাষাৰ বিকাশত তেওঁ যোগোৱা অৰিহণাৰ বিষয়ে অসমীয়া গদ্য-সাহিত্যৰ অন্যতম ওজা শ্ৰীবেণুধৰ শৰ্মাই লিখিছে— 'বন্তিৰ' সমান আয়ুস 'উষা'ই নাপালে যদিও অসমীয়া ভাষাৰ লিখা ঠাঁচ, বৰ্ণ-বিন্যাসৰ গঢ়, ৰচনা-ৰীতি আৰু নতুন শব্দ সজাত 'বন্তিত'কৈ গাভৰু 'উষা'ৰ অৰিহণা সৰহ আৰু বাঞ্ছকৰনীয়া। গোহাঞিবৰুৱাই সজা শব্দৰ ভিতৰত 'আজিকোপতি', অনতিপলমে', 'অধনুৱা', 'সম্পাদকৰ শৰাই', 'চকুৱে চকুৱে কথা', 'দুৰলীয়া লাট' আৰু 'থুল (quorum)'কে আদি কৰি ভালেমান নতুন শব্দ আমাৰ ভাষাৰ মাজত কোনেও গম ধৰিব নোৱৰাকৈ সোঁ সোঁ কৰি চলি গৈছে। গোহাঞিবৰুৱাই ৰাতিক দিনকৈ সাহিত্য সাধনা কৰিছিল। জীৱন-যাত্ৰাৰ পথত আগভেটা দিয়া অসংখ্য অভাৱ-অনাটন, পাৰিবাৰিক অসুখ-অশান্তি আৰু বৈ-বঙহৰ অকাল-মৃত্যুত পোৱা শোক-বেজাৰেও তেখেতক বিচলিত কৰিব পৰা নাছিল। সাহিত্যৰ অভাৱ পুৰাবলৈকে যেন তেওঁৰ লিখনীয়ে বাট বুলিছিল।

অহা ২৬ নবেম্বৰ তাৰিখে সদৌ অসমে এই উৎসৰ্গীকৃতপ্ৰাণ লিখক আৰু আধুনিক অসমৰ অন্যতম নিৰ্মাতাজনৰ প্ৰথম জন্ম-শতবাৰ্ষিকী পালন কৰিব। এটা কৃতজ্ঞ জাতিয়ে এই সাহিত্যাচাৰ্য্যজনাৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰাৰ উপৰিও অসমীয়া ভাষা-সাহিত্যৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামক পুনৰ স্মৰণ কৰি চাবলৈ আৰু আমাৰ জাতীয় জীৱনৰ পৰা ক্ৰমাৎ হেৰাই যাব ধৰা কৰ্ম-নিষ্ঠা আৰু আদৰ্শবাদিতাৰ পুনৰুজ্জীৱন ঘটাবলৈ এটা ডাঙৰ সুযোগ পাব। সদৌ দেশবাসীৰ লগতে আমি পদ্মনাথ গোহাঞিবৰুৱাৰ পুণ্য-স্মৃতিৰ প্ৰতি আমাৰ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছোঁ।

সাপ্তাহিক নীলাচল, ১৫৯ সংখ্যা : ৮ ডিচেম্বৰ, ১৯৭১

অগ্নি-পৰীক্ষা

ব্যক্তিৰ নিচিনাকৈ প্ৰত্যেক জাতিৰ জীৱনতো মাজে মাজে এনে একোটা সময় আহেঁ যেতিয়া সেই জাতিৰ কায়িক আৰু আধ্যাত্মিক শক্তিৰ চৰম পৰীক্ষা হয়। তেনে পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিলেহে সেই জাতিয়ে মূৰ থিয় কৰি জগতত জীয়াই থকাৰ অধিকাৰ অৰ্জন কৰে। ভাৰতবৰ্ষ আজি তেনে এটা পৰীক্ষাৰ সমুখীন হৈছে। আমাৰ দেশ আজি পাকিস্তানৰ লগত যি যুদ্ধত লিপ্ত হৈ পৰিছে সি কেৱল দুটা সৈন্য-বাহিনীৰ মাজত হোৱা সশস্ত্ৰ সংঘৰ্ষ নহয়; সি হ'ল দুটা আদৰ্শৰ মাজত চলা সংঘাত। এই যুদ্ধত এক পক্ষত হ'ল গণতন্ত্ৰ, ধৰ্ম-নিৰপেক্ষতা আৰু মৌলিক মানবীয় অধিকাৰসমূহৰ প্ৰতি সন্মানবোধ আৰু আনটো পক্ষত হ'ল সামৰিক একনায়কত্ববাদ, ধৰ্মীয় অসহিষ্ণুতা আৰু মৌলিক মানবীয় অধিকাৰসমূহক পদদলিত কৰিব খোজা অমানবীয় নিষ্ঠুৰতা। গতিকে আমাৰ দেশৰ ওপৰত চলা পাকিস্তানৰ অপ্ৰৰোচিত আক্ৰমণ কেৱল আমাৰ সৈন্য-বাহিনীৰ বীৰত্বৰ প্ৰতিয়েই প্ৰত্যাহ্বান নহয়, ই আমাৰ দেশৰ আবাল-বৃদ্ধ-বণিতা প্ৰতিজন নৰ-নাৰীৰ দেশ-প্ৰেম, আদৰ্শবাদিতা, চৰিত্ৰ-শক্তি আৰু শৃংখলাবোধৰ প্ৰতিও এক চৰম প্ৰত্যাহ্বান। কোৱা বাহুল্য মাথোন যে এই যুদ্ধত আমাৰেই চূড়ান্ত বিজয় অৱশ্যম্ভাবী, কাৰণ আমি যুদ্ধ কৰিছোঁ আমাৰ মাতৃ-ভূমিৰ আঞ্চলিক অখণ্ডতা ৰক্ষাৰ কাৰণে আৰু এক গভীৰ মানবীয় আদৰ্শৰ কাৰণে; আনহাতে পাকিস্তানে যুদ্ধ কৰিছে নিজৰ কলঙ্কিত মুখ ৰক্ষাৰ নিচিনা এটা নেতিবাচক স্বাৰ্থৰ কাৰণে আৰু সমস্ত মানবীয় মূল্যবোধ আৰু আদৰ্শৰ বিৰুদ্ধে।

ভাৰতৰ পক্ষে পৰম সৌভাগ্যৰ কথা এই যে আমাৰ জাতিৰ এনে এটা চৰম সঙ্কটপূৰ্ণ মুহূৰ্তত শ্ৰীমতী ইন্দিৰা গান্ধীৰ দৰে এগৰাকী অসামান্যা বীৰ্য্যসম্পন্না মহিলা আমাৰ দেশৰ নেতৃত্ব-পদত অধিষ্ঠিতা হৈ আছে। যোৱা আঠ মাহ ধৰি অভূতপূৰ্ব সংকট, উপৰ্য্যুপৰি বিপদ আৰু চৰম প্ৰৰোচনাৰ সমুখতো তেওঁ যি ধৈৰ্য্য-শক্তি আৰু শীতল মগজুৰ পৰিচয় দিছে তাৰ কোনো তুলনা নাই। ভাৰতৰ সাত শত্ৰুৱেও ক'ব নোৱাৰিব যে সকলো সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ কাৰণে আৰু যুদ্ধৰ পথ পৰিহাৰ কৰিবৰ কাৰণে শ্ৰীমতী গান্ধীয়ে কোনো চেষ্টাৰ ত্ৰুটি কৰিছিল বা প্ৰত্যেকটো বিকল্পৰ কাৰণে চেষ্টা নকৰাকৈ আছিল। পৃথিৱীৰ মদগৰ্বী আৰু স্বাৰ্থান্ধ ৰাষ্ট্ৰসমূহে সকলো আদৰ্শক জলাঞ্জলি দি আৰু সত্যক অস্বীকাৰ কৰি অৱশেষত এনে এটা অৱস্থাৰ সৃষ্টি কৰিলে যে নিজৰ সন্মান আৰু আঞ্চলিক অখণ্ডতা ৰক্ষাৰ কাৰণে যুদ্ধ কৰাৰ বাহিৰে ভাৰতৰ কাৰণে আন কোনো পথ বাকী নাথাকিল। সেই যুদ্ধও আমাৰ ওপৰত জোৰকৈ জাপি দিয়া হ'ল। বিশ্বৰ কেতবোৰ ৰাষ্ট্ৰই এই কথা বোধহয় পাহৰি গৈছিল যে ভাৰতবৰ্ষ ধনেৰে দুখীয়া হ'লেও সন্মানবোধ, চৰিত্ৰ-শক্তি আৰু আদৰ্শৰ ক্ষেত্ৰত দুখীয়া নহয়। ধনৰ অহঙ্কাৰত হাজাৰ হাজাৰ মাইল দূৰত বহি আমাৰ দেশক হুকুম দিবলৈ প্ৰয়াস কৰা দেশবোৰৰ স্পৰ্দ্ধাৰ যোগ্য প্ৰত্যুত্তৰ আমাৰ প্ৰধান মন্ত্ৰীয়ে দিছে। নিজৰ বীৰত্ব-ব্যঞ্জক উক্তি আৰু কাৰ্য্যৰ দ্বাৰা শ্ৰীমতী গান্ধী আজি সমগ্ৰ দেশৰ সন্মানবোধ, বিবেক আৰু দৃঢ় সঙ্কল্পৰ প্ৰতীক হৈ পৰিছে। পাৰ্লিয়ামেণ্টৰ বিৰোধী পক্ষৰ নেতাসকলে উচিতভাৱেই ঘোষণা কৰিছে যে এই মুহূৰ্তত ভাৰতত এটাই মাত্ৰ জাতি আছে— সেইটো হ'ল ভাৰতীয় জাতি; এটাই মাত্ৰ দল আছে— সেইটো হ'ল

ভাৰতীয় মহাজাতিৰ দল; আৰু এগৰাকীয়েই মাত্ৰ নেতা আছে— তেওঁ হ'ল শ্ৰীমতী ইন্দিৰা গান্ধী। আজি আমি যি যুদ্ধত লিপ্ত হৈছোঁ সেই যুদ্ধত দেশৰ ৫৫ কোটি নৰ-নাৰীৰ প্ৰত্যেকজনেই একো একোজন সৈনিক আৰু শ্ৰীমতী গান্ধী আমাৰ সৰ্বোচ্চ অধিনায়িকা। তেওঁ যে আমাক চূড়ান্ত বিজয়ৰ পথলৈ আগুৱাই লৈ যাব সেই বিষয়ে আমাৰ মনত কোনো সন্দেহ নাই।

অৱশ্যে যুদ্ধত চৰম উত্তেজনাৰ মুহূৰ্ততো আমি এটা কথা পাহৰি যোৱা উচিত নহয়। সেইটো হৈছে এই যে আমি যুদ্ধ কৰিছোঁ পাকিস্তানৰ সামৰিক শাসক-চক্ৰ আৰু তেওঁলোকৰ সাঙ্গোপাঙ্গসকলৰ বিৰুদ্ধেহে, পাকিস্তানৰ জনসাধাৰণৰ বিৰুদ্ধে নহয়। পাকিস্তান জন্ম-মুহূৰ্তৰ পৰাই গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত, পুঁজিপতিৰ দ্বাৰা শোষিত আৰু ফেচিষ্ট সামৰিক চৰকাৰৰ দ্বাৰা পদদলিত পাকিস্তানৰ জনসাধাৰণৰ প্ৰতি বন্ধুত্ব আৰু সদিচ্ছাৰ বাহিৰে আমাৰ আন একো নাই। তেওঁলোকৰ গাৰ ওপৰত জগদল পাথৰৰ দৰে বিৰাজ কৰা এই ঘৃণিত সামৰিক শাসক-চক্ৰৰ পতন ঘটিলে তাৰ ফলত পাকিস্তানৰ জনসাধাৰণ অৱশেষত লাভবানেই হ'ব। বাংলাদেশে আজি স্বাধীনতাৰ লক্ষ্যৰ ফালে দ্ৰুত গতিৰে আগবাঢ়িছে। সেই দেশৰ ৭৫ নিযুত মানুহে স্বাধীনতা আৰু মৌলিক মানবীয় অধিকাৰ ঘূৰাই পোৱাৰ পিছত পশ্চিম পাকিস্তানৰ জনগণেও মিলিটাৰী বুটৰ তলত আৰু বেচি দিন পিষ্ট হৈ থাকিবলৈ নিশ্চয় ৰাজী নহ'ব। স্বাধীনতাৰ কোনো সীমান্ত নাই। পৃথিবীৰ এটা অংশত দাসত্ব আৰু শোষণ বিৰাজ কৰি থকালৈকে বাকী অংশতো স্বাধীনতা নিশ্চিন্ত আৰু স্বয়ংপূৰ্ণ হ'ব নোৱাৰে। পশ্চিম পাকিস্তানৰ মানুহেও প্ৰকৃত স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰ অৰ্জন কৰাটো আমাৰ একান্ত কাম্য।

ভাৰত আৰু পাকিস্তানৰ মাজত চলা বৰ্তমান যুদ্ধ এক ঐতিহাসিক যুগান্তকাৰী যুদ্ধ ৰূপে পৰিগণিত হ'ব পাৰে। এই যুদ্ধৰ পৰিণামে এচিয়া তথা বিশ্বৰ ৰাজনীতিত বহুতো বৈপ্লৱীক পৰিবৰ্তন অনাৰ সম্ভাবনা আছে। আমি যুদ্ধ কৰিছোঁ আমাৰ দেশৰ সম্মান আৰু আঞ্চলিক অখণ্ডতা ৰক্ষা কৰিবৰ কাৰণে; লগতে যুদ্ধ কৰিছোঁ এচিয়াত গণতন্ত্ৰৰ শক্তিসমূহক বিপদমুক্ত আৰু শক্তিশালী কৰিবৰ কাৰণে। আমি শত্ৰুৰ শক্তি উপাই কৰা উচিত নহয়। আমাক নৈতিক সমৰ্থন দিছে কেৱল ৰাছিয়া প্ৰমুখ্যে কেইখনমান সমাজবাদী দেশে; কিন্তু পাকিস্তানৰ প্ৰতি প্ৰত্যক্ষ আৰু পৰোক্ষ সমৰ্থন আছে বিশ্বৰ প্ৰায় বেচিভাগ ৰাষ্ট্ৰৰ। আমি প্ৰায় নিঃসঙ্গ, কিন্তু এই নিঃসঙ্গতাই আমাৰ প্ৰধান শক্তি। কাৰণ ই আমাক অনমনীয় জেদ আৰু অপৰাজেয় বীৰ্য্য-শক্তিৰে উদ্বুদ্ধ কৰিব। এই মুহূৰ্তত আমি স্মৰণ কৰা উচিত যোৱা দ্বিতীয় মহাযুদ্ধৰ সময়ত ইংৰাজ জাতিৰ নেতা চাৰ্চিলে কৰা অগ্নি-গৰ্ভ উক্তি— 'If this long island story of ours is to end at last, let it end only when each one of us lies choking in his own blood upon the ground'। অৰ্থাৎ 'আমাৰ এই দ্বীপৰ সুদীৰ্ঘ ইতিহাস যদি অৱশেষত অন্তই পৰিব লাগে, তেন্তে আমাৰ প্ৰত্যেকজন মানুহেই নিজৰ তেজেৰে লুতুৰি-পুতুৰি হৈ মাটিত মুখ ঠেকেছা খাই পৰাৰ পিচতহে যেন সি অন্ত পৰে।' কিন্তু ৫৫ কোটি মানুহৰ এই বিশাল দেশ, তাৰ পাঁচ হাজাৰ বছৰৰ নিৰবচ্ছিন্ন ইতিহাসৰে সৈতে কেতিয়াও তেনেকৈ অন্ত পৰিব নোৱাৰে। এই অগ্নি-পৰীক্ষাত আমি নিশ্চয় সসম্মানেৰে উত্তীৰ্ণ হ'ম আৰু পৃথিৱীৰ শক্তিশালী আৰু সম্মানিত জাতিসমূহৰ মাজত নিজৰ ন্যায্য আসন অধিকাৰ কৰিম। পাকিস্তানৰ লগত এইখনেই আমাৰ শেষ যুদ্ধ।

সাপ্তাহিক নীলাচল, ০০০ সংখ্যা ঃ ১৫ ডিচেম্বৰ, ১৯৭১

বাংলাদেশৰ স্বাধীনতা সংগ্ৰাম আৰু সাপ্তাহিক নীলাচল

পাকিস্তানৰ বিশেষ ঐতিহাসিক পটভূমিত বিচাৰ কৰি চালে দেখা যাব যে গণতান্ত্রিক শাসন-ব্যৱস্থাৰ পুনৰোদ্ধাৰৰ দাবীতকৈ পূর্ব-পাকিস্তানৰ আঞ্চলিক স্বায়ত্ত শাসনৰ দাবীহে অধিক বৈপ্লৱিক আৰু তাৎপর্য্যপূর্ণ; আৰু সেই দাবীৰ প্রতিহে আমাৰ অধিক মনোযোগ আকৃষ্ট হোৱা উচিত। তাৰ কাৰণ আছে। পূর্ব পাকিস্তানৰ বাঙালী আৰু পশ্চিম পাকিস্তানৰ পঞ্জাবী- এই দুয়োটা সম্প্রদায়ৰ মাজত ভৌগোলিক, সাংস্কৃতিক, সামাজিক আৰু ভাষিক দূৰত্বৰ দুস্তৰ ব্যৱধান থকা সত্তেও দুয়োটা সম্প্রদায়ে লগ লাগি কুৰি বছৰৰ আগত এখন ৰাষ্ট্র গঢ়ি তুলিছিল মাত্র এডাল ঐক্য-সূত্রক অবলম্বন কৰি— আৰু সেই ঐক্য সূত্রডাল হ'ল ধর্ম। এই কথা অস্বীকাৰ কৰিবৰ উপায় নাই যে আজি ভাৰত আৰু পাকিস্তানৰ শতকৰা পঞ্চাশ ভাগতকৈ অধিক অর্থনৈতিক বিপর্য্যয় আৰু সামাজিক অশান্তিৰ প্রধান কাৰণ হ'ল দ্বি-জাতি তত্ত্বৰ ভেটিত পাকিস্তানৰ প্রতিষ্ঠা আৰু তাৰ অৱধাৰিত পৰিণাম হ'ল ভগনীয়া সমস্যা, সাম্প্রদায়িক অশান্তি, পাৰস্পৰিক সন্দেহ, ক্রমবৰ্দ্ধমান প্রতিৰক্ষা ব্যয় আৰু যুদ্ধৰ বিভীষিকা ইত্যাদি। মুঠতে ধৰ্মৰ ভিত্তিত পাকিস্তানৰ প্রতিষ্ঠাই এই উপ-মহাদেশৰ সামাজিক পুনৰ্বিন্যাস আৰু অর্থনৈতিক উন্নতিৰ গতিবেগ কম পক্ষেও এক শতাব্দীৰ কাৰণে ব্যাহত কৰি দিলে। কিন্তু মাত্র কুৰি বছৰ পূৰ নৌ হওঁতেই পূর্ব পাকিস্তানৰ বাঙালী জনসাধাৰণে আবিষ্কাৰ কৰিলে যে পুঁজিবাদী স্বার্থ আৰু পুঁজিবাদী শোষণে ধর্মাধর্ম বিচাৰ কৰি কাম নকৰে। মুছলমান পঞ্জাবীৰ দ্বাৰা মুছলমান বঙালী নির্মমভাৱে শোষিত হোৱাৰ পৰা ধৰ্মই তেওঁলোকক ৰক্ষা কৰিব পৰা নাই। সেয়েহে আজি তেওঁলোকে পূর্ব পাকিস্তানৰ স্বাধীনতা, বা বিকল্প হিচাবে সর্বাধিক পৰিমাণৰ স্বায়ত্ত-শাসনৰ কাৰণে মৰণ-পণ কৰি সংগ্রাম কৰিবলগীয়া হৈছে। একপ্রকাৰে চাবলৈ গ'লে পশ্চিম পাকিস্তানৰ শোষণ-নীতিৰ বিৰুদ্ধে পূর্ব পাকিস্তানৰ এই বিদ্রোহ পাকিস্তান প্রতিষ্ঠাৰ মূল নীতি বা আদর্শৰ প্ৰতিয়েই এক বিৰাট প্রত্যাহ্বান স্বৰূপ, কাৰণ ধৰ্মতকৈ অর্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থহে এখন আধুনিক সমাজৰ ঘাই চালিকা-শক্তি বুলি এই বিদ্রোহৰ দ্বাৰা স্বীকাৰ কৰি লোৱা হৈছে।

সাপ্তাহিক নীলাচলৰ সম্পাদকীয় প্রবন্ধ

(২ এপ্রিল, ১৯৬৯ চন।)

মুক্ত গণতান্ত্রিক নির্বাচনে মুজিবৰ ৰহমানক জাতীয় পৰিষদত সংখ্যাধিক্য দি তেওঁক চৰকাৰ গঠন কৰিবলৈ অধিকাৰ দিছে। পশ্চিম পাকিস্তানে যদি এই গণতান্ত্রিক ৰায় মানি নলয় আৰু ৰহমানক বাধা দিয়ে, তেতিয়া কি হ'ব? তেতিয়া খুব সম্ভব এক প্রচণ্ড গৃহ-যুদ্ধ আৰু গণ-বিপ্লৱে পাকিস্তানৰ ইতিহাস ৰক্তাক্ত কৰি তুলিব।

স্বাধীন বাংলাদেশৰ বীৰনায়ক চেখ মুজিবৰ ৰহমানৰ জয় হওক।

সাপ্তাহিক নীলাচল

(১০ ফেব্রুৱাৰী, ১৯৭১ চন।)

বাংলাদেশৰ স্বাধীনতাৰ আন্দোলন আধুনিক কালৰ এটা অতি তাৎপর্য্যপূর্ণ ঘটনা। এই আন্দোলনেই ধর্ম-নিৰপেক্ষতাৰ আদর্শক শক্তিশালী কৰি ভাৰতৰ ৰাজনীতিতো এটা মঙ্গলজনক প্রভাব পেলাইছে। চেখ

মুজিবুৰ ৰহমানৰ নেতৃত্বত এক নতুন মূল্যবোধৰ কাৰণে বীৰত্বপূৰ্ণ সংগ্ৰাম কৰা বাংলাদেশৰ চাৰে সাত কোটি মানুহলৈ আমি আমাৰ পৰিপূৰ্ণ নৈতিক সমৰ্থন আগবঢ়াইছো।

সাপ্তাহিক নীলাচল

(২৪ মাৰ্চ, ১৯৭১ চন।)

বাংলাদেশৰ স্বাধীনতাৰ সংগ্ৰাম আজি কেৱল পাকিস্তানৰ আভ্যন্তৰীণ বিষয় নহয়। মানুহৰ মৌলিক অধিকাৰ আৰু গণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ কাৰণে হোৱা ই এক বিৰাট ঐতিহাসিক সংগ্ৰাম। ত্ৰিশৰ দশকত স্পেইনৰ গৃহ-যুদ্ধত গণতন্ত্ৰৰ সপক্ষে আৰু একনায়কত্ববাদৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পৃথিবীৰ বহু দেশৰ পৰাই স্বেচ্ছাসেৱক বাহিনী গৈছিল। জৱাহাৰলাল নেহৰুৱে সেই ঐতিহাসিক মুহূৰ্তত কৰা আৱেগময় উক্তিবোৰ এতিয়াও আমাৰ কাণত বাজি আছে। পাকিস্তানৰ গৃহযুদ্ধও সামৰিক একনায়কত্ববাদ আৰু গণতন্ত্ৰৰ মাজত হোৱা এক বিৰাট ঐতিহাসিক সংগ্ৰাম। এই সংগ্ৰামত আমি কেৱল মুখেৰে সমৰ্থন জনালেই নহ'ব; স্বেচ্ছাসেৱক বাহিনী পঠাই আমি সেই যুদ্ধত সক্ৰিয় অংশ ল'লেহে এই ঐতিহাসিক মুহূৰ্তত আমাৰ আচল কৰ্তব্য পালন কৰা হ'ব।

সাপ্তাহিক নীলাচল

(৩১ মাৰ্চ, ১৯৭১ চন।)

আমেৰিকাৰ মিলিটাৰী ইণ্ডাষ্ট্ৰী কমপ্লেক্স বা সামৰিক ঔদ্যোগিক পাপ-চক্ৰৰ অন্তহীন লোভৰ গ্ৰাস পূৰ্ণ কৰিবৰ কাৰণে পৃথিবীত এনে কোনো কাম নাই যি কাম আমেৰিকাই কৰিব নোৱাৰে। যোৱা ২৫ বছৰে আমেৰিকাৰ সকলো শক্তি-সামৰ্থ নিয়োজিত হৈছে কিবা নহয় কিবা এটা অজুহাতত এচিয়াৰ মানুহক হত্যা কৰাৰ কামত। কোৰিয়া, ভিয়েৎনাম, বাংলাদেশ— এখন এখনকৈ এচিয়াৰ দেশবোৰত আমেৰিকাৰ লোভী, হিংস্ৰ, দুৰ্বিনীত সাম্ৰাজ্যবাদী হাত দুখন লক্ষ লক্ষ এচিয়াৰ মানুহৰ তেজেৰে ৰাঙলী।

আমেৰিকান অৰ্থনৈতিক দাসত্বৰ পৰা মুক্ত হ'ব নোৱাৰালৈকে ভাৰতে নিজকে স্বাধীন-বুলি ক'বৰ কোনো অধিকাৰ নাই।

সাপ্তাহিক নীলাচল

(৩০ জুন, ১৯৭১ চন।)

পাকিস্তানৰ লগত যুদ্ধত অৱতীৰ্ণ হোৱাৰ বাহিৰে ভাৰতৰ সমুখত দ্বিতীয় কোনো পথ নাই যেন লাগে।

সাপ্তাহিক নীলাচল

(১৪ জুলাই, ১৯৭১ চন।)

বাংলাদেশ যে অতি সোনকালেই স্বাধীন হ'ব সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু বাংলাদেশে এই স্বাধীনতাৰ কাৰণে বুকুৰ ৰক্ত ঢালি মূল্য দিব লাগিব। আমি কেৱল আশা কৰিম যে বাংলাদেশৰ বীৰ জনসাধাৰণে ৰক্ত-স্নান কৰি শুদ্ধ হৈ চৰম দুখ আৰু ত্যাগ স্বীকাৰৰ মূল্য দি যি স্বাধীনতা ক্ৰয় কৰিব— সেই স্বাধীনতা যেন সঁচা স্বাধীনতা হয় আৰু সি যেন সেই দেশৰ কোটি কোটি মানুহলৈ নতুন সুখী জীৱনৰ পোহৰ কঢ়িয়াই আনে।

সাপ্তাহিক নীলাচল, ১৬১ সংখ্যা : ২২ ডিচেম্বৰ, ১৯৭১

বাংলাদেশ আৰু ভাৰতবৰ্ষ

ভাৰত উপ-মহাদেশৰ আধুনিক ইতিহাসত বাংলাদেশ তথা একালৰ পূৰ্ব-বঙ্গই এটা অতি নিৰ্ণয়াত্মক ভূমিকা পালন কৰি আহিছে। বৃটিছ সাম্ৰাজ্যবাদৰ ঘাটি শক্তিশালী কৰিবৰ কাৰণে লৰ্ড কাৰ্জনে যেতিয়া বঙ্গদেশক দুখণ্ড কৰি পূৰ্ববঙ্গক এখন সুকীয়া প্ৰদেশত পৰিণত কৰিছিল, সেই ঘটনাই সূচনা কৰিছিল ভাৰতীয় জাতীয়তাবাদৰ এটা অতি উন্মাদনাময় যুগৰ। A settled fact can never be unsettled— লৰ্ড কাৰ্জনৰ দম্ভোক্তিৰ প্ৰতিবাদত সমগ্ৰ বঙ্গদেশ সিংহৰ দৰে গৰজি উঠিল, এক প্ৰচণ্ড জাতীয়তাবাদৰ উন্মাদনাই সমগ্ৰ বাঙালী জাতিক আলোড়িত কৰি তুলিলে, বহুতো শ্বহীদৰ তেজেৰে ফাঁচী কাঠ ৰাঙলী হৈ উঠিল আৰু ফল স্বৰূপে, দ্বিখণ্ডিত কৰা দেশ পুনৰ একত্ৰিত হ'ল। কিন্তু এদিন এই বাংলাদেশৰ মাটিতেই কেৱল বঙ্গদেশ নহয়— সমগ্ৰ ভাৰতবৰ্ষকে দ্বিখণ্ডিত কৰাৰ বীজ ৰোপণ কৰা হ'ল। যি মুছলিম লীগৰ দ্বিজাতি তত্ত্বৰ ভেটিত কৰা আন্দোলনে এদিন হাজাৰ হাজাৰ বছৰৰ ঐক্যবদ্ধ ভাৰতক দ্বিখণ্ডিত কৰি এই উপ-মহাদেশত ভাৰত আৰু পাকিস্তান দুখন ৰাষ্ট্ৰৰ সৃষ্টি কৰিছিল, সেই মুছলিম লীগৰ জন্ম হৈছিল ৩৬৩ বছৰীয়া প্ৰাচীন ঐতিহাসিক ঢাকা মহানগৰীত। কিন্তু নিয়তিৰ এনেকুৱাই পৰিহাস যে সেই ঢাকা মহানগৰীতে সৌ সিদিনা ১৯৭১ চনৰ ১৬ ডিচেম্বৰ তাৰিখে দ্বি-জাতি তত্ত্বৰ আধাৰত প্ৰতিষ্ঠিত পূৰ্ব পাকিস্তানৰ সমাধি ঘটিল; তাৰ ঠাইত জন্ম হ'ল ধৰ্ম-নিৰপেক্ষতা, গণতন্ত্ৰ আৰু সমাজবাদৰ আদৰ্শৰ ভেটিত প্ৰতিষ্ঠিত বিশ্বৰ নৱতম ৰাষ্ট্ৰ গণ-প্ৰজাতন্ত্ৰী বাংলাদেশৰ।

বাংলাদেশ তথা একালৰ পূৰ্ববঙ্গৰ ভূমিকা ইমানদিনে আবদ্ধ হৈ আছিল কেৱল ভাৰত উপ-মহাদেশৰ চাৰিসীমাৰ ভিতৰত। কিন্তু নৱজাত গণ-প্ৰজাতন্ত্ৰী বাংলাদেশে আজি সমগ্ৰ দক্ষিণ এচিয়া তথা বিশ্বৰ শক্তিৰ ভাৰসাম্য সলনি কৰি দি বিশ্ব-ৰাজনীতিৰ চৰিত্ৰ আৰু গতিধাৰা সলনি কৰি দিবলৈ আগবাঢ়িছে। অপৰিমেয় প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ আৰু ৫৫ কোটি মানুহৰ বাসস্থান এই বিশাল দেশ ভাৰতবৰ্ষৰ চীন, ৰুছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগত একেশাৰীতে থিয় হৈ একক মহাশক্তি হোৱাৰ সকলোখিনি যোগ্যতা আৰু সম্ভাৱনা আছে। কিন্তু সেইটো হোৱাৰ কাৰণে ভাৰতৰ আটাইতকৈ ডাঙৰ বাধা আছিল পাকিস্তান। ভাৰতক অৱণত কৰি ৰাখিবৰ কাৰণে বৃহৎ শক্তিধৰ দেশবোৰে পাকিস্তানক ক্ৰীড়নক হিচাবে ব্যৱহাৰ কৰিছিল। কিন্তু ঘটনা-প্ৰবাহে পাকিস্তানৰ বিষ-দাঁতবোৰ উভালি পেলাই সেই ৰাষ্ট্ৰক আজি এনেভাৱে ক্ষুদ্ৰ আৰু শক্তিহীন কৰি তুলিছে যে আৰু বহুদিনলৈ পাকিস্তানে ভাৰতৰ সমুখত কঁকাল থিয় কৰিবলৈ সামৰ্থ অৰ্জন কৰাৰ সম্ভাৱনা নাই। ইয়াৰ লগে লগে ভাৰতেও স্ব-প্ৰতিৰক্ষাৰ কাৰণে নিজৰ শক্তি, সামৰ্থ আৰু চিন্তাক নিয়োজিত কৰি ৰখাৰ অপ্ৰয়োজনীয় জামেলাৰ পৰা বহুপৰিমাণে মুক্তি পোৱাৰ সম্ভাৱনাই দেখা দিছে। ফলত দেশৰ আৰ্থিক পূণৰ্গঠন আৰু উন্নতিৰ কাৰণে ভাৰতে আগতকৈ অধিক মনোযোগ দিব পাৰিব আৰু পৃথিৱীৰ অন্যতম মহাশক্তি দেশ হোৱাৰ বাটত নিৰ্বিঘ্নে আগবাঢ়িব পাৰিব। বিশ্বৰ বৃহৎ শক্তিসমূহে ভাৰতক সম্পূৰ্ণৰূপে উপেক্ষা কৰি এই ভূ-খণ্ডত নিজ প্ৰভাৱাধীন অঞ্চলত ভাগ কৰি লোৱাৰ যি স্বপ্ন দেখিছিল, বাংলাদেশৰ অভ্যুদয়ে সেই স্বপ্ন নিৰ্মমভাৱে চুৰমাৰ কৰি দিছে। বিশ্বত এতিয়া কেৱল চীন, ৰুছিয়া আৰু আমেৰিকা

যুক্তৰাষ্ট্ৰয়েই একমাত্ৰ লেখত ল'বলগীয়া শক্তি নহয়; শক্তিৰ নতুন ভাৰ-সাম্যৰ পৰিকল্পনাত ভাৰতো এতিয়া সমান অংশীদাৰ। পৃথিৱীত শক্তিৰ ভাৰসাম্যৰ যি নতুন পেটাৰ্ণ বৰ্তমান ফুটি উঠিছে তাত একালে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইয়াৰ মিত্ৰ-বাহিনী আৰু আনফালে ৰুছিয়া, ভাৰতবৰ্ষ আৰু বাংলাদেশে অৱস্থান কৰাৰ সম্ভাবনাই দেখা দিছে।

বাংলাদেশৰ অভ্যুদয়ে ভাৰতক আজি আগতকৈ বহুখিনি শক্তিশালী কৰি তুলিছে। কেৱল এই কাৰণতেই ভাৰত বাংলাদেশৰ ওচৰত কৃতজ্ঞ হোৱা উচিত। কিন্তু ভাৰতৰ কৃতজ্ঞতাৰ কাৰণ কেৱল ৰাজনৈতিক বা অৰ্থনৈতিক লাভতকৈ বহুবেছি গভীৰতৰ। বাংলাদেশৰ ওচৰত ভাৰত চিৰকাললৈ কৃতজ্ঞ হোৱাৰ ঘাই কাৰণ এয়েই যে যিবোৰ মানবীয় প্ৰমূল্য আৰু আদৰ্শৰ কাৰণে ভাৰতে যুদ্ধ কৰিছিল আৰু এতিয়াও কৰি আছে— ধৰ্মনিৰপেক্ষতা, স্বাধীনতা আৰু গণতন্ত্ৰৰ সেই একেবোৰ আদৰ্শৰ কাৰণে বাংলাদেশে যুদ্ধ কৰি আৰু অবশেষত জয়যুক্ত হৈ এই উপ-মহাদেশৰ অসমাপ্ত মুক্তি সংগ্ৰামক সিদ্ধি লাভৰ বাটত আৰু কিছু আগুৱাই দিলে। বাংলাদেশৰ স্বাধীনতা যুদ্ধ চলি থকা সময়ত ফৰাচী দাৰ্শনিক আৰু বুদ্ধিজীৱী আঁদ্রে মালৰোৱে কৈছিল যে— বাংলাদেশে কেৱল স্বাধীনতা অৰ্জনৰ কাৰণেই যুদ্ধ কৰা নাই, সেই দেশে যুদ্ধ কৰিছে নিজৰ আত্মাক ৰক্ষা কৰিবৰ কাৰণে। বাংলাদেশে নিজৰ আত্মাক ৰক্ষা কৰি সভ্যতাৰ এটা মহৎ উত্তৰাধিকাৰকো ৰক্ষা কৰিছে। ভাৰতৰ দৃষ্টিত এই উত্তৰাধিকাৰৰ মূল্য অপৰিমেয়। বাংলাদেশৰ কোটি কোটি নৰ-নাৰীয়ে এই দেশৰ কোমল সাৰুৱা মাটিত এক নতুন আদৰ্শ আৰু মূল্যবোধৰ বীজ ৰোপণ কৰিছে আৰু ৰক্তৰ প্লাৱনেৰে পলশ পেলাই সেই বীজ অংকুৰিত আৰু বিকশিত হোৱাৰ ক্ষেত্ৰ প্ৰশস্ত কৰি দিছে। বিশ্বৰ আধুনিক ইতিহাসলৈ বাংলাদেশৰ এই যুগান্তকাৰী অবদানৰ কথা ভাৰতে সদায় কৃতজ্ঞ-চিত্তেৰে স্মৰণ কৰিব।

বাংলাদেশত বন্দুকৰ যুদ্ধ শেষ হ'ল, কিন্তু আচল যুদ্ধখন আৰম্ভ হ'ব এতিয়াহে। সেই ৰণক্ষেত্ৰ ৰক্তাক্ত ধ্বংস স্তূপৰ পৰা এখন দেশ নতুনকৈ গঢ়ি তোলাৰ যুদ্ধ। বাংলাদেশক নতুনকৈ গঢ়ি তুলিবলৈ বিপুল পৰিমাণৰ আৰ্থিক সাহায্যৰ প্ৰয়োজন হ'ব আৰু সেই সাহায্য ক'ৰ পৰা কেনেকৈ পোৱা হ'ব সি নিশ্চয় এটা ডাঙৰ সমস্যা। কিন্তু সেইটোৱে একমাত্ৰ সমস্যা নহয়। তাতকৈ ডাঙৰ সমস্যা হ'ল ৰাজনৈতিক শৃংখলা আৰু সুস্থিৰতা অনাৰ সমস্যা। যদিও যোৱা সাধাৰণ নিৰ্বাচনত আৱামী লীগেই শতকৰা প্ৰায় ৯৮ খন আসন অধিকাৰ কৰি বাংলাদেশৰ একমাত্ৰ প্ৰতিনিধিমূলক দল হিচাবে পৰিগণিত হৈছিল, আৰু ৰাষ্ট্ৰখন শাসন কৰিবলৈ কেৱল এই দলৰে গণতান্ত্ৰিক অধিকাৰ আছে, কিন্তু ন মাহ ধৰি চলা ৰক্তাক্ত স্বাধীনতা যুদ্ধত অংশ গ্ৰহণ কৰি অপৰিমেয় কষ্ট স্বীকাৰ কৰা বাকীবোৰ দল আৰু বিভিন্ন ৰাজনৈতিক মতাৱলম্বী লোকেৰে গঠিত মুক্তি বাহিনীয়েও এতিয়া স্বাভাৱিকতে শাসন-ক্ষমতাৰ কিছু কিছু ভাগ দাবী কৰিব। আৱামী লীগৰ নেতৃবৃন্দৰ মাজতো সম্পূৰ্ণ ঐক্য বিৰাজ কৰিছে বুলি ক'ব নোৱাৰি। ইফালেদি সংখ্যাত খুব তাকৰীয়া হ'লেও চীনদেশৰ দালাল শ্ৰেণীৰ কেতবোৰ উগ্ৰপন্থী লোকেও বাংলাদেশত যথেষ্ট সক্ৰিয়। সুপ্ৰসিদ্ধ বুৰঞ্জীবিদ চাৰ যদুনাথ চৰকাৰে শিৱাজীৰ মৃত্যুৰ পিচত মাৰাঠা শক্তিৰ পতনৰ কাৰণ বিশ্লেষণ কৰি কৈছিল যে বৰষুণ পৰিলে নৈৰ পাৰৰ বালিবোৰ গোট মাৰি একগোট হয়, কিন্তু ৰ'দ দিলেই সি আকৌ শুকাই অসংখ্য কণিকাত বিভক্ত আগৰ ৰূপ লয়; ঠিক তেনেকৈ জাতীয় মুক্তি সংগ্ৰামে ঐক্যবদ্ধ কৰা একোটা জাতিও সংগ্ৰাম শেষ হোৱাৰ পিচতেই আগৰ দৰে শতধাবিভক্ত হৈ দুৰ্বল হৈ পৰে। এই সম্ভাৱনা বোধ কৰাটোৱেই বাংলাদেশৰ সমুখত এতিয়া আটাইতকৈ ডাঙৰ সমস্যা। ৰাজনৈতিক দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে বাংলাদেশৰ আৱামী লীগে ভাৰতৰ ইন্দিৰাপন্থী কংগ্ৰেছৰ দৰে প্ৰগতিশীল আদৰ্শ আৰু আৰ্হি অনুসৰণ কৰি কাম কৰিবলৈ চেষ্টা কৰা

উচিত হ'ব। বাংলাদেশৰ নতুন পৰিস্থিতিত এই দলব ৰাজনৈতিক বিবৰ্তনে কোন পথে আগবাঢ়ে আৰু অন্যান্য দলবোৰৰ লগত কেনে ধৰণৰ বুজা-বুজি স্থাপন কৰিবলৈ সক্ষম হয় তাৰ ওপৰতে বাংলাদেশৰ ৰাজনৈতিক স্থিৰতাৰ প্ৰশ্নটো বহুখিনি নিৰ্ভৰ কৰিব।

বাংলাদেশ স্বাধীন হোৱাৰ মুহূৰ্তটোলৈ ভাৰতে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিল। সেই মুহূৰ্ত পাৰ হৈ গ'ল। বাংলাদেশৰ সম্পৰ্কত ভাৰতে যি সংকট ইতিমধ্যে পাৰ হৈ আহিল, ভৱিষ্যতে তাতোকৈ ডাঙৰ সংকটে ভাৰতৰ সমুখত অপেক্ষা কৰি আছে। বাংলাদেশৰ লগত নতুন সম্পৰ্ক স্থাপনত ভাৰতে যদি প্ৰতি খোজতে অসীম সতৰ্কতাৰে আগনাবাঢ়ে তেন্তে ভৱিষ্যতে নানা জটিলতাই দেখা দিব পাৰে আৰু তাৰ ফলত বৰ্তমানৰ সদিচ্ছাপূৰ্ণ মানসিক বাতাবৰণ, পাৰস্পৰিক সন্দেহ আৰু অবিশ্বাসৰ বিষবাষ্পৰে আবিল হৈ উঠিব পাৰে। ভাৰতে কৰিব পৰা সম্ভাব্য ভুলৰ ভিতৰত আটাইতকৈ ডাঙৰ ভুল হ'ব পাৰে— যদিহে আমি মুক্তি-সংগ্ৰামৰ সময়ত বাংলাদেশক দিয়া সহায়-সহানুভূতিৰ বিনিময়ত সেই দেশৰ পৰা কৃতজ্ঞতা দাবী কৰোঁ আৰু নৱজাত ৰাষ্ট্ৰখনৰ প্ৰতি অভিভাৱকসুলভ মনোভাব প্ৰদৰ্শন কৰোঁ। বাংলাদেশৰ লোকসকল এটা অতি স্পৰ্শকাতৰ জাতি। আমি এনেকুৱা কোনো কাম কৰিব নালাগিব বা কোনো কথা ক'ব নালাগিব যাৰ দ্বাৰা তেওঁলোকৰ গৰ্ববোধ আৰু আত্মসন্মানবোধ আহত হ'ব পাৰে। আমি এনে এটা মানসিক বাতাবৰণ সৃষ্টি কৰিব লাগিব য'ত বাংলাদেশে আৰ্থিক পুনৰ্গঠন আৰু আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত নিজেক ভাৰতৰ অধমৰ্ণ হিচাবে নাভাবি সমান অংশীদাৰ আৰু সমকক্ষ প্ৰতিবেশী বুলি বিবেচনা কৰিব পাৰে। বাংলাদেশৰ স্বাধীনতাই ভাৰত আৰু বাংলাদেশ দুয়োখন দেশৰ কাৰণে কৃষি, শিল্প আৰু পৰিবহন ব্যৱস্থা আদিৰ ক্ষেত্ৰত পাৰস্পৰিক লাভদায়ক ঘনিষ্ঠ সহযোগিতাৰ এক বিশাল ক্ষেত্ৰ মুকলি কৰি দিছে। তাৰ পৰা সৰ্বাধিক সুবিধা আদায় কৰিবলৈ হ'লে দুয়োখন দেশে যথেষ্ট ৰাজনৈতিক বিচক্ষণতা, দূৰদৰ্শিতা আৰু পৈণত দৃষ্টি-ভঙ্গীৰ পৰিচয় দিব পাৰিব লাগিব।

আগন্তুক নিৰ্বাচনৰ কাৰণে প্ৰাৰ্থী মনোনয়ন

নিৰ্বাচন আসন্ন। কংগ্ৰেছে ইতিমধ্যে প্ৰাৰ্থী মনোনয়নৰ কাৰণে যাবতীয় কাৰ্য্য ব্যৱস্থা হাতত লৈছে। বাকী অন্যান্য দলবোৰেও খুব সম্ভব দুই-এদিনৰ ভিতৰতে নিৰ্বাচন সম্পৰ্কীয় তৎপৰতা আৰম্ভ কৰিব। প্ৰাৰ্থী মনোনয়নৰ ক্ষেত্ৰত বিভিন্ন দলবোৰে যাতে শুদ্ধ পথেৰে আগবাঢ়িব পাৰে, তাৰ কাৰণে দেশত এটা সুস্থ আৰু প্ৰভাৱশালী জনমত গঢ়ি উঠা দৰকাৰ।

এইবাৰ দেশত যি অৱস্থাৰ পটভূমিত নিৰ্বাচন অনুষ্ঠিত হ'ব, সেই অৱস্থাত কোন দল জয়ী হ'ব বা হোৱা উচিত সেই প্ৰশ্নটোহে প্ৰধান বিবেচ্য বিষয় হৈ দেখা দিছে। শ্ৰীমতী গান্ধী ইতিমধ্যেই তেওঁৰ সকলো প্ৰতিপক্ষৰ কাৰণে এটা প্ৰকাণ্ড ভীতিৰ কাৰণ হৈ দেখা দিছি। ১৯৬৯ চনত কংগ্ৰেছ দলক ভাঙি দুটুকুৰা কৰি আদৰ্শগত সংগ্ৰাম আৰম্ভ কৰা মুহূৰ্তৰ পৰা শ্ৰীমতী গান্ধীয়ে এবাৰৰ কাৰণেও পিচলৈ ঘূৰি চোৱাৰ প্ৰয়োজন হোৱা নাই। ৰাষ্ট্ৰপতি নিৰ্বাচন, বেংকৰ ৰাষ্ট্ৰীয়কৰণ, মধ্যৱৰ্তী নিৰ্বাচন, সংবিধান সংশোধন ইত্যাদি প্ৰত্যেকটো বিষয়তে শ্ৰীমতী গান্ধীয়ে বিৰাট সাফল্য অৰ্জন কৰি নিজকে দেশৰ আটাইতকৈ জনপ্ৰিয় নেত্ৰী হিচাবে প্ৰতিষ্ঠিত কৰিছে আৰু কংগ্ৰেছৰ হৃৎ গৌৰৱ পুনৰ ঘূৰাই আনিছে। সদৌ শেষত ভাৰত পাকিস্তানৰ যুদ্ধত অৰ্জন কৰা জয়লাভে শ্ৰীমতী গান্ধীক আৰু তেওঁৰ দলক এনে এটা অভূতপূৰ্ব মৰ্যাদা আৰু জনপ্ৰিয়তাৰ আসনত প্ৰতিষ্ঠিত কৰিছে যে বিৰোধী দলসমূহে কংগ্ৰেছক ক্ষমতাচ্যুত কৰাৰ আশা ত্যাগ কৰি নিজৰ অস্তিত্ব ৰক্ষাৰ কাৰণেহে বেছিকৈ চিন্তা কৰিবলগীয়া হৈছে। দ্বিতীয় মহাযুদ্ধত ইংৰাজ জাতিৰ ত্ৰাণকৰ্তা উইনষ্টন চাৰ্চিলে তেওঁৰ জীৱনৰ আটাইতকৈ গৌৰৱময় মুহূৰ্তত ১৯৪৫ চনৰ নিৰ্বাচনত শোচনীয়ভাৱে পৰাজয়বৰণ কৰিবলগীয়া হৈছিল। ভাৰতবৰ্ষত এনে ঘটনা ঘটাৰ কোনো সম্ভাৱনা নাই। ভাৰতীয়সকলৰ মানসিক প্ৰকৃতি বেলেগ, এই দেশৰ বাস্তৱ পৰিস্থিতি বেলেগ। তদুপৰি বিলাতৰ শ্ৰমিক দলৰ দৰে দেশত সুস্পষ্ট, সু-সংগঠিত আৰু শক্তিশালী বিকল্প দলো অনুপস্থিত। গতিকে দেশৰ সাম্প্ৰতিক মানসিক বাতাৱৰণত কংগ্ৰেছ দলৰ বিৰাট জয়লাভ প্ৰায় সুনিশ্চিত। অৱশ্যে এই কথা ঠিক যে ভাবালুতাৰ বশৱৰ্তী হৈ ভাৰতীয় জনসাধাৰণে যদি বিৰোধী দলসমূহক নিঃচিহ্ন কৰি দিয়ে, বা নিশকতীয়া কৰি অকাৰ্যকৰী কৰি তোলে— তেন্তে এই দেশত গণতন্ত্ৰ বিপদাপন্ন হৈ পৰিব। তেনে এটা সম্ভাৱনা বোধ কৰিবৰ কাৰণে সকলো দূৰদৰ্শী আৰু চিন্তাশীল লোকেই সচেষ্ট হোৱাৰ দৰকাৰ।

মূৰ্খই সদায় চৰম বিজয়োল্লাসৰ মাজতে আপোন ধ্বংসৰ বীজ ৰোপণ কৰে; জ্ঞানীয়ে তাক কৰি তোলে নব নব বিজয়ৰ সুনিৰ্মিত ভেটি। কংগ্ৰেছে নিজকে মূৰ্খ বুলি প্ৰমাণ কৰে নে জ্ঞানী বুলি প্ৰমাণ কৰে দেশবাসীৰ সন্মুখত সি আজি এটা ডাঙৰ প্ৰশ্ন। ইতিমধ্যেই মানুহৰ মুখে মুখে এটা কথা প্ৰচাৰিত হৈছে যে ভাৰত-পাকিস্তান যুদ্ধত ভাৰতৰ জয়লাভৰ ফলত সমগ্ৰ দেশজুৰি যি এটা ভাবোন্মাদনাৰ সোঁত প্ৰবাহিত হৈছে, সেই অৱস্থাত কংগ্ৰেছে প্ৰাৰ্থীৰ নামত গছৰ মুঢ়া এটা থিয় কৰালেও সেই নিৰ্বাচন যুদ্ধত জয়লাভ হ'ব পাৰিব। হয়তো পাৰিব, হয়তো তাৰ ফলত কংগ্ৰেছ দল অৱিসম্বাদী ক্ষমতাৰো অধিকাৰী হ'ব, কিন্তু তেনে কাৰ্যৰ দ্বাৰা এই দলে অদূৰ ভৱিষ্যতত নিজৰ ধ্বংসৰ পথো সৃষ্টি কৰিব। ১৯৬৭ চনত কংগ্ৰেছৰ যি

বিপৰ্য্যয় হৈছিল তাৰ বীজ ৰোপণ কৰা হৈছিল ১৯৫২ চনতেই। বিজয় গৰ্বত আত্মহাৰা হৈ আৰু প্ৰয়োজনাতিৰিক্ত আত্ম-উল্লাসৰ বশৱতী হৈ এইবাৰ তেনে ভুল নকৰিলেই তেওঁলোকৰ দলৰ পক্ষে মঙ্গলৰ কথা হ'ব।

প্ৰাৰ্থী মনোনয়নৰ ক্ষেত্ৰত অনুসৰণ কৰিবৰ কাৰণে কংগ্ৰেছৰ হাই কামাণ্ডে এইবাৰ কেইটামান নিৰ্দেশ জাৰী কৰিছে। সেই কেইটা হ'ল— (১) কংগ্ৰেছ পুৰণি সদস্য আৰু নৱাগত সদস্যসকলৰ ভিতৰত কোনো প্ৰকাৰৰ বৈষম্যমূলক আচৰণ দেখুৱাব নালাগিব; (২) বৰ্তমানৰ এম. এল. এ. সকলৰ ভিতৰত অন্তত এক তৃতীয়াংশ এম. এল. এ.ক পুনৰ মনোনয়ন দিব নালাগিব; আৰু (৩) সংখ্যালঘু সম্প্ৰদায়, মহিলা আৰু যুবকক যথোপযুক্ত প্ৰতিনিধিত্ব দিব লাগিব। এই নিৰ্দেশ কেইটা নিষ্ঠাসহকাৰে পালন কৰিলেও নতুন বিধান সভাৰ চৰিত্ৰ আৰু চেহেৰা কিছু সলনি হ'ব বুলি আশা কৰিব পাৰি। কিন্তু কিছুমান স্বাৰ্থান্বেষী আৰু সুবিধাবাদী লোকে এই নিৰ্দেশকেইটা অমান্য কৰিবলৈ ইতিমধ্যেই নানা ছিদ্ৰ বিচাৰি ফুৰিছে। তেওঁলোকৰ এই চেষ্টাত সহায় কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ কেতবোৰ কাৰ্য্যব্যৱস্থাই। জানিবলৈ পোৱা মতে প্ৰদেশ কংগ্ৰেছে এইবুলি নিৰ্দেশ দিছে যে জিলা কংগ্ৰেছ কমিটিবোৰৰ কাৰ্য্যনিৰ্বাহক কমিটিয়ে প্ৰত্যেক সমষ্টিৰ কাৰণে তিনিজনকৈ প্ৰাৰ্থীৰ নাম চুপাৰিশ কৰি পঠিয়াব। এইখিনিতে এটা কথা মনত ৰখা দৰকাৰ যে অসমত বহুদিন ধৰি কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচন হোৱা নাই, আৰু ফলত বৰ্তমানৰ কাৰ্য্যনিৰ্বাহক কমিটিবোৰে কংগ্ৰেছ ৰাজনীতিৰ নৱ-জাগ্ৰত শক্তি আৰু পৰিবৰ্তনবোৰৰ প্ৰতিনিধিত্ব নকৰে। দেশৰ অন্যান্য অংশত হোৱাৰ দৰে অসমত কংগ্ৰেছ দলৰ মাজত আদৰ্শগত বিভাজন নোহোৱাৰ ফলত মানসিক দৃষ্টিভংগীৰ পৰিবৰ্তন নোহোৱা একেবোৰ মানুহেই কেৱল নিজৰ গাৰ লেবেলটো বা অফিচৰ চাইনবোৰ্ডখন সলনি কৰি নৱ-কংগ্ৰেছী হৈ বৰ্তি আছে। এনে স্থলত এনেবোৰ কাৰ্য্যনিৰ্বাহক কমিটিৰ মতামতৰ ওপৰতেই অধিক প্ৰাধান্য দিবলৈ হ'লে কংগ্ৰেছৰ নতুন আদৰ্শ আৰু কাৰ্য্যসূচীৰ আহ্বানত এই দলত নতুনকৈ যোগ দিয়া লোকসকলে যথোচিত সুবিচাৰ পোৱাৰ বিশেষ আশা নাই। অৱশ্যে ব্যতিক্ৰম নহ'ব সেই কথা জোৰকৈ ক'ব নোৱাৰি। তথাপি প্ৰাদেশিক নিৰ্বাচনী কমিটিয়ে এই কথাটোৰ প্ৰতি বিশেষ দৃষ্টি ৰখাটো উচিত হ'ব। যদি কোনো কোনো জিলা কংগ্ৰেছ কাৰ্যনিৰ্বাহকে নিজৰ সংখ্যাধিক্যৰ জোৰত পুৰণি মদকে নতুন বটলত ভৰাই নতুন বুলি চলাবলৈ প্ৰয়াস কৰে আৰু কংগ্ৰেছৰ নতুন আদৰ্শৰ প্ৰতি বিশ্বাসঘাতকতা কৰে; তেন্তে তেনে কাৰ্যনিৰ্বাহকৰ চুপাৰিশ অগ্ৰাহ্য কৰিবলৈ প্ৰাদেশিক নিৰ্বাচনী কমিটিৰ সু-বুদ্ধি আৰু সৎ-সাহস থাকিব লাগিব। লোকসভাৰ যোৱা মধ্যবৰ্তী নিৰ্বাচনৰ সময়ত অসম কংগ্ৰেছৰ আটাইতকৈ প্ৰগতিশীল আৰু সমাজবাদী বুলি পৰিচিত দুই-এজন নেতায়ো উপযুক্ত লোকক লোকসভালৈ নিৰ্বাচিত কৰি পঠোৱাৰ সুযোগ গ্ৰহণ নকৰি অবাঞ্ছনীয় বন্ধু-প্ৰীতিৰ পৰিচয় দিছিল আৰু জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছিল। তেওঁলোকে দ্বিতীয়বাৰ একেই ভুল কৰিলে ৰাইজে তেনে লোকক নিশ্চয় ক্ষমা নকৰিব।

এক তৃতীয়াংশ নতুন লোকক মনোনয়ন দিব লাগে বুলি যি নিৰ্দেশ জাৰি কৰা হৈছে, স্বাৰ্থান্বেষী লোকসকলে তাৰো ভুল ব্যাখ্যা কৰাৰ অৱকাশ আছে। এনে কিছুমান লোক প্ৰাৰ্থী হ'বলৈ নিশ্চয় আগবাঢ়িব— যিসকল লোক হয়তো যোৱা পাঁচ বছৰ এম. এল. এ. হৈ থকা নাছিল, কিন্তু তাৰ আগতে তেওঁলোকে হয়তো একাধিকবাৰ এম. এল. এ. হৈ আছিল। তেনে লোককো নতুন প্ৰাৰ্থী বুলি গণ্য কৰাটো কোনো পধ্যেই উচিত নহ'ব।

যোৱা চাৰিটা নিৰ্বাচনৰ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে কংগ্ৰেছ দলে প্ৰাৰ্থী মনোনয়নৰ ক্ষেত্ৰত প্ৰাৰ্থীসকলৰ শিক্ষা-দীক্ষা, প্ৰতিভা আৰু যোগ্যতাতকৈ তেওঁলোকৰ গোষ্ঠীগত আনুগত্য আৰু দল পকাৰ পৰা ক্ষমতাৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে। প্ৰদেশ কংগ্ৰেছৰ উচ্চতম নেতৃবৰ্গই সুদক্ষ তাৰ্কিক, সমালোচক আৰু চিন্তাশীল লোক নিবিচাৰে; বিচাৰে মাত্ৰ কথাই কথাই 'হয়, হয়' বুলিব পৰা আৰু ভোটৰ সময়ত মন্ত্ৰৰ দৰে হাত দাঙিব পৰা মানুহ। কাৰণ তেতিয়া নেতাগিৰী কৰাটো বেছি সহজ হৈ পৰে। সংখ্যালঘু সম্প্ৰদায়ক প্ৰতিনিধিত্ব দিয়াৰ নামতো কংগ্ৰেছে কণা হাঁহক পতান ধান দি আভুৱা-ভৰাৰ দৰে ৰাইজক প্ৰতাৰণা কৰে। কিন্তু কংগ্ৰেছৰ নেতৃবৰ্গই এইবাৰ এই কথা মনত ৰখা উচিত যে ৰাইজে লাহে লাহে তেওঁলোকৰ সকলো ফাঁকি ধৰা পেলাইছে। আজি দেশৰ ৰাইজে সমাজৰ পুনৰ্বিন্যাসৰ যি সংকল্প গ্ৰহণ কৰিছে, সেই সংকল্প কাৰ্য্যকৰী কৰিবলৈ ৰাইজৰ বিধান সভাত ৰাজনীতি, অৰ্থনীতি আৰু ৰাষ্ট্ৰযন্ত্ৰৰ জটিল কথাবোৰ বুজি পোৱা আদৰ্শনিষ্ঠ আৰু উচ্চি শিক্ষিত মানুহৰ খুব প্ৰয়োজন। গাঁৱে গাঁৱে ভলণ্টিয়াৰী কৰি সমাজ সেৱা কৰা মানুহৰ দ্বাৰা বিধান সভাৰ জটিল ৰাজনীতি আৰু অৰ্থনৈতিক বিতৰ্কত অৰ্থপূৰ্ণ অংশগ্ৰহণ কৰা একেবাৰেই অসম্ভৱ। তদুপৰি বিধানসভাখন 'সমাজসেৱা' কৰাৰ ঠাই নহয়; ই ৰাষ্ট্ৰ পৰিচালনাৰ কাৰণে মৌলিক ৰাজনৈতিক আৰু অৰ্থনৈতিক চিন্তা-চৰ্চা কৰাৰহে ঠাই। গতিকে সমাজসেৱকসকলক সমাজলৈ এৰি থৈ প্ৰকৃত যোগ্যতাসম্পন্ন সুশিক্ষিত লোকসকলকহে বিধান সভালৈ আনিবলৈ চেষ্টা কৰিব লাগে।

আমাৰ দেশত ৰাজনৈতিক দুৰ্নীতি বৃদ্ধি পোৱাৰ এটা ডাঙৰ কাৰণ হৈছে এই যে কিছুমান লোকক এম. এল. এ.ৰ পদটো জীৱিকাৰ উপায় বা চাকৰি হিচাবে গ্ৰহণ কৰিবলৈ সুযোগ দিয়া হৈছে। যিসকল লোকৰ এম. এল. এ.ৰ পদটোৰ বাহিৰে জীৱিকাৰ আন কোনো বিকল্প উপায় নাই, তেওঁলোকে দুৰ্নীতিৰ আশ্ৰয় নোলোৱাকৈ কেতিয়াও থাকিব নোৱাৰে, কাৰণ আজিৰ দিনত কেৱল এম. এল. এ.ৰ চাৰিশ বা পাঁচ টকা বানচেৰে কোনো চলিব নোৱাৰে। প্ৰাৰ্থী মনোনয়নৰ সময়ত এই কথাটো মনত ৰখা প্ৰয়োজন।

ক্ষমতাৰ পদত অধিষ্ঠিত নেতাসকলে সদায় দুটা আনুগত্যৰ মাজত এটাক বাছি ল'ব লগা হয়। এটা হ'ল জনতা আৰু আদৰ্শৰ প্ৰতি আনুগত্য, আনটো হ'ল বন্ধু-বান্ধৱ, আত্মীয় আৰু আশ্ৰিতসকলৰ প্ৰতি আনুগত্য। অসমৰ কংগ্ৰেছ নেতাসকলে এইবাৰ কোনটো আনুগত্যক বাছি লয় তাৰ প্ৰতি ৰাইজে সতৰ্ক দৃষ্টি ৰাখিব।

ৰাজনৈতিক গণনা

Politics can not be divorced from Individual spychology.
– Bertrand Russel.

অসম কংগ্ৰেছৰ গৃহ-যুদ্ধখন বহ্বাৰম্ভে লঘু-ক্ৰিয়াত পৰিণত হোৱা যেন দেখা গৈছে। প্ৰথমতে এনে এটা ধাৰণাৰ সৃষ্টি কৰা হৈছিল যে অসম কংগ্ৰেছৰ প্ৰগিতিশীল আৰু সমাজবাদী অংশটোৱে স্থিতাৱস্থাৰ অৱসান ঘটাই কংগ্ৰেছ অনুষ্ঠানটোক নিকা কৰিবৰ কাৰণেই এই বিদ্ৰোহৰ সূচনা কৰিছে। কিন্তু এই বিদ্ৰোহ স্বতস্ফুৰ্ত আছিল নে দিল্লীৰ ইঙ্গিততহে কৰা হৈছিল সিয়েই এতিয়া এটা সন্দেহৰ বিষয় হৈ পৰিছে। মনত ৰখা দৰকাৰ যে কংগ্ৰেছ হাই-কমাণ্ডে ইতিমধ্যেই ভাৰতৰ কেইবাখনো ৰাজ্যত বৰ্তমানৰ প্ৰাদেশিক কংগ্ৰেছ কমিটিবোৰ ভাঙি দি তদৰ্থ কংগ্ৰেছ কমিটী স্থাপন কৰি দিছে। অসম কংগ্ৰেছৰ পুনৰ্গঠনৰ লগে লগেই এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ল। কংগ্ৰেছৰ নতুন আদৰ্শত আন্তৰিক বিশ্বাস নথকা আৰু সুবিধাবাদী মনোভাবেৰে এই অনুষ্ঠানত আহি ভিৰ কৰা মানুহবোৰৰ কবলৰপৰা কংগ্ৰেছক মুক্ত কৰি নিৰ্বাচনৰ আগে আগে শক্তিৰ নতুন ভাৰ-সাম্য সৃষ্টি কৰাই হ'ল এই প্ৰক্ৰিয়াৰ মূল উদ্দেশ্য। এই নতুন পেটাৰ্ণটোৰ প্ৰতি দৃষ্টি ৰাখি বিচাৰ কৰিলে দেখা যায় যে অসম কংগ্ৰেছৰ পুনৰ্গঠনৰ ক্ষেত্ৰতো নেপথ্যত থাকি প্ৰধান ভূমিকা লৈছিল দিল্লীয়েহে; অসম কংগ্ৰেছৰ 'বিদ্ৰোহী'সকলক এই উদ্দেশ্যৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল।

অসম কংগ্ৰেছৰ এই গৃহ-যুদ্ধৰ শেষ পৰিণতি কি হ'ল আৰু অদূৰ ভৱিষ্যতত এই ৰাজ্যৰ ৰাজনীতিত তাৰ প্ৰতিক্ৰিয়া কি হ'ব – সেই বিষয়ে সম্প্ৰতি বিস্তৰ গৱেষণা চলিব ধৰিছে। মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে তদৰ্থ কংগ্ৰেছৰ স্থাপন কৰাৰ ঘোৰ বিৰোধিতা কৰিছিল। তদৰ্থ কংগ্ৰেছ স্থাপিত হ'লে আগন্তুক নিৰ্বাচনত কংগ্ৰেছৰ কিছু বিপৰ্য্যয় হ'ব পাৰে বুলিও তেওঁ সাৱধানবাণী উচ্চাৰণ কৰিছিল। তথাপি কংগ্ৰেছ হাই-কমাণ্ডে তদৰ্থ কংগ্ৰেছ স্থাপন কৰাৰ সপক্ষেই ৰায় দিলে। এই ক্ষেত্ৰত শ্ৰীচৌধুৰীৰ পৰাজয় হ'ল বুলিয়েই ধৰিব পাৰি। অসম কংগ্ৰেছৰ ক্ষমতাশালী দলটোৱে বা সেই দলৰ বেছিভাগ লোকেই কংগ্ৰেছৰ বিভাজনৰ পিচত খুব পলমকৈহে ইন্দিৰা গান্ধীৰ পক্ষত আছিল। গতিকে তদৰ্থ কংগ্ৰেছখন 'বিদ্ৰোহী' দলটোৰ প্ৰতি তেওঁলোকৰ অবিচলিত আনুগত্য আৰু বিশ্বস্ততাৰ কাৰণে পুৰস্কাৰ আৰু আনটো দলৰ কাৰণে শাস্তি-বিধান বুলি ক'ব পাৰি।

কিন্তু তদৰ্থ কংগ্ৰেছ আৰু নতুন ইলেক্চন কমিটীখন যিভাৱে গঠিত হ'ল – তালৈ চাই কোনো পক্ষৰেই স্পষ্ট জয় বা পৰাজয় হোৱা বুলি ক'ব নোৱাৰি। বৰ্তমান মুহূৰ্তত তদৰ্থ প্ৰাদেশিক কংগ্ৰেছ কমিটীখনৰ প্ৰতীকী তাৎপৰ্য্যৰ বাহিৰে আন কোনো গুৰুত্ব বা ভূমিকা নাই। কিন্তু সেই ফালৰপৰা চালেও তাত চৌধুৰীৰ সমৰ্থকসকলে সংখ্যা-গৰিষ্ঠতা লাভ কৰিছে। আনকি তেওঁৰ বি কেইজন মুখিয়াল সহযোগীক তদৰ্থ কংগ্ৰেছৰপৰা বাহিৰত ৰাখিবলৈ 'বিদ্ৰোহী' দলে চেষ্টা কৰিছিল, সেই কেইজনকো অৱশেষত কংগ্ৰেছ হাই-কমাণ্ডে তদৰ্থ কমিটীত ৰাখিবলৈ ঠিক কৰিলে। ইয়াৰপৰা এনে এটা অনুমান হয় যে চৌধুৰীক পূৰাপূৰি অসন্তুষ্ট কৰিবলৈ কংগ্ৰেছ হাই-কমাণ্ডে এতিয়াও ইচ্ছা কৰা নাই। বিশ্বস্ত সূত্ৰৰপৰা জনা মতে প্ৰধানমন্ত্ৰী

শ্ৰীমতী গান্ধীয়ে আনকি চৌধুৰীক একাধিকবাৰ এই কথাও কৈছে যে তেওঁৰ সম্মতি আৰু সহযোগিতা নোহোৱাকৈ তেওঁ অসম কংগ্ৰেছত কোনো পৰিবৰ্তন কৰিব নোখোজে।

জয়-পৰাজয় নিৰ্ধাৰণ কৰিব পৰা অনুষ্ঠানটো হ'ল ইলেক্‌চন কমিটীখন। দিল্লীৰপৰা ঘুৰি আহি দুয়োটা দলেই এই কমিটীত নিজৰ নিজৰ সংখ্যাধিক্য থকা বুলি দাবী কৰিছিল। কিন্তু নিৰপেক্ষ বিচাৰত দেখা যায় যে এই দাবীৰ কোনো সবল ভিত্তি নাই। কমিটীখনত তিনি ধৰণৰ মানুহ আছে। এটা দল নিভাজ চৌধুৰী-পন্থী আৰু আনটো দল নিভাজ সিংহ-পন্থী। এই দুয়োটা দল প্ৰায় সমান সমান। তৃতীয় দল বা শ্ৰেণীটোৰ মানুহ কেইজন হ'ল সুবিধাবাদী। সিংহ আৰু চৌধুৰীৰ ভিতৰত যিজনেই দিল্লীৰ কৃপা-দৃষ্টি পোৱা বুলি তেওঁলোকে অনুভৱ কৰিব তেওঁকেই এওঁলোকে সমৰ্থন কৰিব। দ্বিতীয়তে, নিজৰ সুবিধা আৰু স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে কোনো কোনো ক্ষেত্ৰত সিংহৰ প্ৰাৰ্থীক সমৰ্থন কৰিব, কোনো কোনো ক্ষেত্ৰত চৌধুৰীৰ প্ৰাৰ্থীক সমৰ্থন কৰিব।

কিন্তু ইলেক্‌চন কমিটীত সংখ্যাধিক্যৰ প্ৰশ্নটোও এক প্ৰকাৰে চাবলৈ গ'লে অৰ্থহীন। প্ৰাৰ্থীৰ চূড়ান্ত মনোনয়ন হ'ব দিল্লীত। প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত আগৰ আটাইকেইবাৰতকৈ এইবাৰ দিল্লীয়ে অধিকতৰ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব। এই ক্ষেত্ৰত দিল্লীয়ে কি দৃষ্টি-ভঙ্গী গ্ৰহণ কৰিব বা কেনেকুৱা মাপ-কাঠি প্ৰয়োগ কৰিব সেইটো নিৰ্ভৰ কৰিব এটা বিশেষ প্ৰশ্নৰ উত্তৰৰ ওপৰত। প্ৰশ্নটো হ'ল ঃ অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব? এই প্ৰশ্নটোৰ উত্তৰ ঠিক কৰিব কেৱল এগৰাকী ব্যক্তিয়ে। তেওঁ হ'ল শ্ৰীমতী গান্ধী। তেওঁ যদি ঠিক কৰে যে চৌধুৰীয়েই আকৌ মুখ্যমন্ত্ৰী হৈ থাকিব, তেন্তে অসমৰ ইলেক্‌চন কমিটীয়ে শৰৎ সিংহৰ সমৰ্থকসকলকেই বেছিভাগ মনোনয়ন দিলেও কেন্দ্ৰীয় সংসদী বোৰ্ডে সকলো ওলট-পালট কৰি পেলাব। ঠিক সেইদৰে শ্ৰীমতী গান্ধীয়ে যদি ঠিক কৰে যে শৰৎ সিংহ বা দেৱকান্ত বৰুৱাহে অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হোৱা উচিত, তেন্তে অসমৰ ইলেক্‌চন কমিটীত চৌধুৰীৰ সংখ্যাধিক্যৰো বিশেষ একো অৰ্থ নাথাকিব। মুঠতে অসমৰ নব-গঠিত ইলেক্‌চন কমিটীখনে কোনো পক্ষৰেই জয় বা পৰাজয় প্ৰমাণ কৰিছে বুলি ক'ব নোৱাৰি।

ভাৰতৰ অন্যান্য যিবোৰ ৰাজ্যত তদৰ্থ কংগ্ৰেছ গঠন কৰা হৈছে সেই সকলোবোৰতে দুটা বা ততোধিক স্তৰত এই পুনৰ গঠন কৰা হৈছে। আশা কৰা হৈছিল যে অসমতো সেইটো কৰা হ'ব। কিন্তু এতিয়া জানিব পৰা গৈছে যে জিলা পৰ্য্যায়ত পুৰণি কংগ্ৰেছ কমিটীবোৰেই চলি থাকিব; সময়ৰ অভাৱৰ অজুহাতত সেইবোৰ ভাঙি তদৰ্থ কমিটী কৰা নহ'ব। এটা বিশেষ মহলত এই ঘটনাই কিছু হতাশাৰ সৃষ্টি কৰিছে। ৰাজনৈতিক পৰ্য্যবেক্ষকসকলৰ দৃষ্টিত ই এটা বিশেষ তাৎপৰ্য্যপূৰ্ণ কথা বুলি বিবেচিত হৈছে। কোৱা বাহুল্য মাথোন যে অসম কংগ্ৰেছৰ পুনৰ গঠন আধৰুৱা হৈ ৰ'ল আৰু তাৰ পৰিণাম স্বৰূপে যি যি উদ্দেশ্য আগত ৰাখি কংগ্ৰেছৰ সংস্কাৰ কৰিবলৈ বিচৰা হৈছিল সেই গোটেইবোৰ উদ্দেশ্য হয় সিদ্ধ কৰিব পৰা নহ'ব বা কৰিবলৈ দিয়া নহ'ব।

অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব সেইটোৱেই হ'ল এই গোটেইবোৰ ঘটনাৰ কেন্দ্ৰীয় বিষয় বা প্ৰশ্ন। নিৰ্বাচনৰ দুমাহৰ আগতে অসম কংগ্ৰেছৰ পুনৰ গঠন কৰি এই কথাটোকে সকলোকে স্পষ্টভাৱে জনাই দিয়া হ'ল যে মুখ্যমন্ত্ৰী কোন হ'ব সেইটো এতিয়া এটা মুকলি প্ৰশ্ন। চৌধুৰীয়েই মুখ্যমন্ত্ৰী হৈ থাকিব বুলি কোনেও ধৰি লব নালাগে। অৱশ্যে তাৰ অৰ্থ এই নহয় যে চৌধুৰীক পুনৰ মুখ্যমন্ত্ৰী নকৰাটোৱেই ইতিমধ্যে ঠিক কৰা হৈছে। সম্ভৱপৰ সকলো উপায়েৰে যাৱতীয় তথ্য-পাতি সংগ্ৰহ কৰি আৰু সেইবোৰৰ

বিচাৰ-বিশ্লেষণ কৰি দেখা গৈছে যে শ্ৰীমতী গান্ধীয়ে এই সম্পৰ্কে এতিয়াও চূড়ান্তভাৱে মন স্থিৰ কৰিব পৰা নাই। বিভিন্ন সম্ভাৱনা তেওঁ মুকলি কৰি ৰাখিছে। তদৰ্থ অসম কংগ্ৰেছ আৰু ইলেক্‌চন কমিটীৰ গাঁথনিতেই তাৰ প্ৰমাণ পোৱা যায়। এতিয়ালৈকে যি কেইজন মানুহৰ নাম তেওঁৰ মনত থকা বুলি অনুমান কৰা হৈছে, তেওঁলোক হ'ল — মহেন্দ্ৰমোহন চৌধুৰী, দেৱকান্ত বৰুৱা আৰু শৰৎ চন্দ্ৰ সিংহ। ভাৰতৰ বৰ্তমান ৰাজনীতিত অভাৱনীয় বিস্ময়ৰ সম্ভাৱনা কোনো ৰকমেই নুই কৰিব নোৱাৰি। কিন্তু অভাৱনীয় একো এটা যদি নঘটে, তেন্তে এই তিনিজনৰ ভিতৰৰে কোনোবা এজন অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হোৱাৰ সম্ভাৱনা আটাইতকৈ অধিক। (ইয়াৰ আগতে আমি এবাৰ লিখিছিলোঁ যে অভাৱনীয় কিবা এটা নঘটিলে চৌধুৰী ক্ষমতাচ্যুত হোৱাৰ কোনো আশংকা নাই। কিন্তু ইতিমধ্যে ভাৰত-পাকিস্তানৰ যুদ্ধ আৰু এড্ হক কংগ্ৰেছ গঠনৰ দৰে দুটা অপ্ৰত্যাশিত ঘটনা ঘটি গ'ল।)

শৰৎ সিংহৰ বিদ্ৰোহ সম্পূৰ্ণ বিফল হোৱা নাই। স্থিতাৱস্থা আৰু পৰিবৰ্তন-স্পৃহাৰ মাজত হোৱা যুদ্ধত তেওঁ পৰিবৰ্তনৰ পক্ষ লৈ যুদ্ধ কৰিছে। তেওঁ বিদ্ৰোহ নকৰা হ'লে অসমৰ কংগ্ৰেছ অনুষ্ঠানে এটা প্ৰয়োজনীয় জোকাৰণি নাখালেহেঁতেন; কিছুমান মানুহে আত্ম-সমালোচনাৰ সুযোগ নাপালেহেঁতেন; কিছুমান সন্দেহজনক চৰিত্ৰৰ মানুহৰ ৰাজনৈতিক ভৱিষ্যত অনিশ্চিত নহ'লহেঁতেন। কংগ্ৰেছৰ ঐতিহাসিক বিভাজনৰ কেইবামাহৰ আগতেই শৰৎ সিংহই এনে এটা আদৰ্শগত বিভাজনৰ প্ৰয়োজন হৈছে বুলি অনুভৱ কৰিছিল আৰু এই সমীক্ষকক সেই কথা কৈছিল। কিন্তু সমগ্ৰ দেশতে সেই বিভাজন হৈ যোৱাৰ পিচতো অসম কংগ্ৰেছত বিভাজন নোহোৱাত বা হ'বলৈ নিদিয়াত তেওঁ মনে মনে অসন্তুষ্ট হৈ আছিল। আগন্তুক নিৰ্বাচনৰ যোগেদি তেওঁ সেই বহু-বিলম্বিত 'পাৰ্জিং' কৰিব খোজে, অৰ্থাৎ আদৰ্শৰ প্ৰতি আনুগত্য আৰু দায়-বদ্ধতা নথকা মানুহবোৰক তেওঁ দায়িত্বশীল পদৰপৰা অপসাৰিত কৰিব খোজে। তেওঁৰ এই সৎ উদ্দেশ্য অকুণ্ঠ সমৰ্থনৰ যোগ্য। কিন্তু কংগ্ৰেছ অনুষ্ঠানৰপৰা বেয়া মানুহক আঁতৰাবলৈ গৈ তেওঁ নিজে এনে কিছুমান মানুহক নিজৰ সঙ্গী বা সাৰথি হিচাবে বাছি লৈছে — যিসকল লোকক সৎ ৰাজনীতিৰ প্ৰবক্তা বা নতুন সমাজ-বিপ্লৱৰ সেনানী বুলি অসমৰ মানুহক পতিয়ন নিওৱাবলৈ চেষ্টা কৰাটো অবিশ্বাস্য Naiveté-ৰ পৰিচয়ৰ বাহিৰে আন একো নহয়। দ্বিতীয়তে, যিসকল ডেকা-বুঢ়া নতুন মানুহে আজি শৰৎ সিংহৰ সমাজবাদী আৰু প্ৰগতিশীল শিবিৰত যোগ দিছে, তেওঁলোকৰো সমাজবাদী বা প্ৰগতিশীল পৰিচয় তেওঁলোকৰ আত্মঘোষণা বা সিংহই তেওঁলোকৰ বিষয়ে কৰা ধাৰণাৰ বাহিৰে আন ক'তো নাই। অৰ্থাৎ কাম বা চিন্তা-চৰ্চাৰ যোগেদি তেওঁলোকৰ সমাজবাদী পৰিচয় ফুটি উঠা নাই; সি ফুটি উঠিছে দলত নাম-ভৰ্তি বা বিভিন্ন পদবীৰ আকাংক্ষাৰ মাজেদিহে। শৰৎ সিংহৰ বিদ্ৰোহৰপৰা অসম কংগ্ৰেছত নতুন চেতনাৰ উন্মেষ আৰু নতুন শক্তিৰ উত্থান হ'ব বুলি যিসকল লোকে আশা কৰিছিল, তেওঁলোকৰ মনত এতিয়া আশাৰ ঠাই আকাংক্ষাইহে দখল কৰিছে; কাৰণ তেৰেঁা ক্ষমতাৰ ৰাজনীতিৰ চিৰাচৰিত পথেৰেহে আগবঢ়া যেন দেখা গৈছে। ক্ষমতা দখল কৰাটো সহজ কথা; আচল টান কাম হ'ল নতুন চেতনা আৰু নতুন আদৰ্শেৰে মানুহক প্ৰকৃততে উদ্বুদ্ধ কৰি তোলা। সহজৰ আকৰ্ষণ পৰিহাৰ কৰি কঠিনৰ সাধনাত ব্ৰতী হ'ব খোজা নেতা এজনৰ কাৰণে অসমে আৰু কিমান দিন অপেক্ষা কৰিব লাগিব?

সাপ্তাহিক নীলাচল, ১৬৪ সংখ্যা ঃ ১২ জানুৱাৰী, ১৯৭২

বাংলাদেশৰ স্বাধীনতা-সংগ্ৰামৰ বীৰ নায়ক আৰু ৰাষ্ট্ৰ-পিতা শ্বেখ্ মুজিবুৰ ৰহমানৰ ঐতিহাসিক স্বদেশ-প্ৰত্যাবৰ্তন

দিল্লীত অভূত-পূৰ্ব ৰাজহুৱা সম্বৰ্দ্ধনা

১৯৭১ চনৰ ২৫ মাৰ্চ তাৰিখে যিজন মানুহক জেনেৰেল ইয়াহিয়া খানে দেশদ্ৰোহী বুলি বন্দী কৰি পাকিস্তানলৈ সাধাৰণ কয়েদীৰ দৰে লৈ গৈছিল আৰু ন-মাহ ধৰি নিৰ্জন কাৰাগাৰত বন্দী কৰি ৰাখিছিল, আধুনিক ইতিহাসৰ কিম্বদন্তী-তুল্য সেই মানুহজন এক স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি স্বৰূপে যোৱা ১০ তাৰিখে পুনৰ নিজৰ মুক্ত স্বদেশলৈ ঘূৰি আহিছে। শেখ মুজিবুৰ ৰহমানে স্বদেশৰ মাটিত ভৰি দি আবেগ-উদ্বেলিত লক্ষ লক্ষ জনতাৰ যি অভূতপূৰ্ব উচ্ছ্বসিত অভিনন্দন লাভ কৰিছে, সমগ্ৰ মানৱ-জাতিৰ ইতিহাসতেই তাৰ বেছি তুলনা পাবলৈ নাই।

যোৱা ন-মাহ ধৰি বাংলাদেশৰ মানুহে যেতিয়া স্বাধীনতা অৰ্জনৰ কাৰণে মৰণ-পণ সংগ্ৰাম কৰিছিল আৰু লক্ষ লক্ষ প্ৰাণৰ আহুতি দিছিল, সেই সময়ত এই সংগ্ৰামৰ প্ৰেৰণাৰ একমাত্ৰ উৎস আৰু শেখ মুজিবুৰ ৰহমানে নিশ্চিত মৃত্যুৰ কাৰণে দিন গণি গণি কাল অতিবাহিত কৰিছিল পাকিস্তানৰ [illegible] মাজৰ এক নিৰ্জন কাৰাগাৰত। ১৯৭১ চনৰ ২৬ মাৰ্চ তাৰিখে এক অনাতাঁৰ ভাষণত জেনেৰেল ইয়াহিয়া খানে গৰ্ব-ভৰা মাতেৰে ঘোষণা কৰিছিল যে পাকিস্তানৰ জাতীয় পতাকাক অপমান কৰা এই দেশদ্ৰোহী মানুহজনৰ শাস্তি নোহোৱাকৈ কেতিয়াও থাকিব নোৱাৰে। কিন্তু আজি জেনেৰেল ইয়াহিয়া খানে অতি অসম্মানজনকভাৱে ক্ষমতাৰপৰা অপসাৰিত হৈ গৃহ-বন্দী হৈ কাল কটাইছে, আৰু শেখ মুজিবুৰ ৰহমানে মহিমা-মণ্ডিত বীৰৰ দৰে বিজয়-গৰ্বেৰে মুক্ত স্বদেশলৈ ঘূৰি আহিছে আৰু লাভ কৰিছে সমগ্ৰ ইতিহাসৰ তুলনা-বিহীন আৰু ভাষাৰে বৰ্ণনা কৰিব নোৱৰা এক বিপুল ৰাজকীয় অভ্যৰ্থনা।

শেখ মুজিবুৰ ৰহমানে পাকিস্তানৰপৰা গৈ লণ্ডনত উপনীত হোৱা বুলি নিশ্চিত বাতৰি পোৱা মাত্ৰেই বাংলাদেশ আৰু ভাৰতবৰ্ষত আনন্দৰ উন্মাদনা জোৱাৰৰ দৰে উচ্ছ্বসিত হৈ উঠে। দহ তাৰিখে তেওঁ স্বদেশৰ পথত লণ্ডনৰপৰা ঘূৰি আহি পুৱা ৭ বজাত নতুন দিল্লীৰ পালাম বিমান বন্দৰত উপস্থিত হয় আৰু ৰাষ্ট্ৰপতি প্ৰমুখ্যে ভাৰতীয় নেতাসকলে তেওঁক তাত আদৰণি জনায়। তাৰ পিচত নতুন দিল্লীত তেওঁৰ সন্মানাৰ্থে পতা এখন বিৰাট জনসভাত শেখ মুজিবুৰ ৰহমানে বক্তৃতা দিয়ে। বাংলা ভাষাত দিয়া এটি চমু আবেগময় ভাষণত তেওঁ কয় যে তেওঁৰ এই প্ৰত্যাগমন আন্ধাৰৰপৰা পোহৰলৈ আৰু দাসত্বৰপৰা স্বাধীনতালৈ কৰা এটা পুণ্য যাত্ৰা। ভাৰতক তেওঁ তেওঁৰ দেশ-বাসীৰ আটাইতকৈ ডাঙৰ বন্ধু বুলি উল্লেখ কৰে আৰু শ্ৰীমতী ইন্দিৰা গান্ধীক উদ্দেশ্য কৰি তেওঁ কয় যে এই মহিমান্বিতা মহিলাগৰাকী কেৱল বাংলাদেশ বা ভাৰতৰেই নেতা নহয়, তেওঁ সমগ্ৰ মানৱ জাতিৰেই নেতা। শেখ মুজিবুৰ ৰহমানৰ দৃপ্ত কণ্ঠস্বৰত ভাৰতৰ প্ৰতি গভীৰ কৃতজ্ঞতা, স্বাধীনতা-লাভৰ অবৰ্ণনীয় আনন্দ আৰু নিজৰ দেশৰ মানুহক লগ পোৱাৰ কাৰণে অন্তহীন ব্যাকুলতা ফুটি উঠে।

দিল্লীত কিছুসময় অতিবাহিত কৰি তেওঁ দুপৰীয়া ঢাকা অভিমুখে যাত্ৰা কৰে আৰু আবেলি গৈ তেওঁৰ 'সপোনৰ দেশ' স্বাধীন বাংলাদেশৰ স্বাধীন ৰাজধানীত কোটি কোটি মানুহৰ হৃদয়-সিংহাসনৰ অধীশ্বৰ ৰূপে প্ৰবেশ কৰে। এটা জাতিক অগ্নি-মন্ত্ৰৰে দীক্ষিত কৰি সেই জাতিৰ জীৱনত নতুন ইতিহাসৰ সৃষ্টি কৰোতা এই মানুহজন ঢাকাত ভৰি দিয়াৰ লগে লগে আৱেগ-উন্মাদ উত্তাল জন-সমুদ্ৰই যি দৃশ্যৰ সৃষ্টি কৰে, পৃথিবীৰ ইতিহাসত তেনে দৃশ্য খুব কমেইহে দেখিবলৈ পোৱা যায় বুলি সকলোৱেই একেবাক্যে স্বীকাৰ কৰিছে।

আমাৰ চকুৰ আগতে ঘটি যোৱা বাংলাদেশৰ বিদ্ৰোহ, ৰক্তাক্ত সংগ্ৰাম আৰু নাটকীয় জয়লাভ আধুনিক ইতিহাসৰ এটা অবিস্মৰণীয় ঘটনা। মহাকাব্যিক গৰিমাৰে ভাস্বৰ এই মুক্তি-সংগ্ৰাম বিশ্ব-ইতিহাসৰ আটাইতকৈ স্মৰণীয় আৰু উল্লেখযোগ্য ঘটনাৱলীৰ অন্যতম বুলি পৰিগণিত হৈছে। এই মুক্তি-সংগ্ৰামৰ প্ৰধান অবিসম্বাদী নায়ক হিচাবে শেখ মুজিবুৰৰ নাম ইতিমধ্যেই এটা জীৱন্ত কিম্বদন্তীও হৈছে।

পাকিস্তানৰ জন্মৰ কিছুদিনৰ পিচতেই শেখ মুজিবুৰে এই ৰাষ্ট্ৰৰ প্ৰতিক্ৰিয়াশীল চৰিত্ৰ উপলব্ধি কৰিছিল আৰু পূৰ্ববঙ্গক পশ্চিম পাকিস্তানৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক উপনিবেশ কৰাৰ চক্ৰান্তৰ বিৰুদ্ধে ১৯৪৮ চনতেই সংগ্ৰাম আৰম্ভ কৰিছিল। তাৰ ফল স্বৰূপে অবিভক্ত পাকিস্তানৰ ২৪ বছৰৰ ইতিহাসত সম্পূৰ্ণ ৮ বছৰ কাল তেওঁ কাৰাগাৰত বন্দী হৈ থাকিবলগীয়া হয়। তেওঁৰ শেষ কাৰাবাস হয় পাকিস্তানত — যিসময়ত তেওঁৰ দেশবাসীয়ে লক্ষ লক্ষ প্ৰাণৰ আহুতি দি স্বাধীনতাৰ যুদ্ধত লিপ্ত হৈ পৰিছিল। সুদীৰ্ঘ ন-মাহ কাল তেওঁ এই স্বাধীনতা যুদ্ধৰ কোনো খবৰ পোৱা নাছিল। ইতিমধ্যেই জেনেৰেল ইয়াহিয়া খানে তেওঁৰ প্ৰাণদণ্ডৰ আদেশ দিছিল আৰু তেওঁক ৰখা হৈছিল ফাঁচীৰ আচামী ৰখা এটা নিৰ্জন আৰু আন্ধাৰ কাৰা-কক্ষত। ১৫ ডিচেম্বৰ তাৰিখে যেতিয়া ঢাকাত পশ্চিম পাকিস্তানী সৈন্যই আত্মসমৰ্পণ কৰিব লগাৰ সম্ভাৱনা স্পষ্ট হৈ উঠে, তেতিয়া তেওঁক মাৰি পেলোৱাৰ হুকুম দিয়া হয় আৰু সেই উদ্দেশ্যৰে এটা কফিনো সাজি উলিওৱা হয়। কিন্তু জেলৰ সদাশয় অধ্যক্ষজনে তেওঁক বন্দীশালৰপৰা গোপনে উলিয়াই আনি নিজৰ ঘৰত লুকুৱাই ৰাখে, আৰু তেনে নাটকীয়ভাৱেই বঙ্গ-পিতা মুজিবুৰ ৰহমানৰ জীৱন ৰক্ষা পৰে।

শেখ মুজিবুৰ ৰহমান পূৰ্ব পাকিস্তানৰ বাণিজ্য-মন্ত্ৰী হৈ থকাৰ সময়ত ভাৰতৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিবৰ উদ্দেশ্যেৰে তেওঁ এবাৰ ভাৰত ভ্ৰমণ কৰিবলৈ আহিছিল। লগত আছিল শ্বহীদ হুছান চুৰাৱৰ্দী। সেইবাৰ ভাৰতীয় নেতাসকলক উপহাৰ দিবলৈ তেওঁ লগত লৈ আহিছিল সুন্দৰবনৰ এটেকেলি মৌ। এই উপহাৰ আছিল ভাৰতৰ প্ৰতি থকা তেওঁৰ অকৃত্ৰিম মৰম আৰু সখ্য-ভাৱৰ প্ৰতীক। কিন্তু মুজিবুৰ ৰহমানৰ ভাৰতৰ প্ৰতি থকা প্ৰীতিৰ ভাব দেখি পাকিস্তানৰ শাসকসকল ইমান সশংকিত হৈ উঠিল যে আলাপ-আলোচনা আধৰুৱা কৰি এৰি থৈয়েই তেওঁক স্বদেশলৈ ঘূৰি আহিবলৈ বাধ্য কৰা হ'ল। কিন্তু সেই মৌৰ জুটি ভাৰতীয় নেতাসকলে পাহৰি যোৱা নাই, পাহৰি যোৱা নাই সেই মধু-ৰসৰ উৎস মুজিবুৰৰ হৃদয়খনৰ কথাও। স্বাধীন বাংলাদেশৰ কাৰণে মুজিবুৰ ৰহমানে যি জাতীয় সঙ্গীত নিৰ্বাচন কৰিলে তাৰ ৰচয়িতা হ'ল ৰবীন্দ্ৰনাথ। ভাৰতৰ জাতীয় সঙ্গীতৰ ৰচয়িতাও ৰবীন্দ্ৰনাথ। একে মহিমাময় আধ্যাত্মিক উৎসৰপৰাই আজি দুয়োখন দেশে জাতীয় জীৱনৰ প্ৰেৰণা আৰু সঞ্জীৱনী-ৰস আহৰণ কৰিছে। বাংলাদেশৰ স্বাধীনতা সংগ্ৰামৰ কাৰণে সেই দেশৰ মুক্তিযোদ্ধাসকলৰ লগতে ভাৰতৰ বীৰ জোৱানেও নিজৰ তেজ ঢালিছে। সেই দুই ধাৰা তেজ এক হৈ মিহলি হৈ গৈ আজি ভাৰত আৰু বাংলাদেশক এক অবিচ্ছেদ্য আত্মীয়তাৰ বন্ধনেৰে গ্ৰথিত কৰিছে। স্বাধীন বাংলাদেশৰ মাটিত ভৰি দি আজি শেখ মুজিবুৰ ৰহমানে দেখিব যে এদিন তেওঁ বাংলাদেশ আৰু ভাৰতৰ মাজত যি চিৰকলীয়া বন্ধুত্বৰ সপোন দেখিছিল সেই সপোন বাস্তৱত পৰিণত হৈছে।

গণৰাজ্য-দিৱসৰ চিন্তা

চকুৰে চাই থাকোঁতেই স্বাধীন ভাৰতবৰ্ষই তাৰ ইতিহাসৰ প্ৰথম পঁচিশটা বছৰ সম্পূৰ্ণ কৰিলে। এই বছৰতে দেশে স্বাধীনতা লাভৰ প্ৰথম ৰূপালী জয়ন্তী পালন কৰিব। অতি আশা আৰু আনন্দৰ কথা যে বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি আমি আজি এনে এটা অৱস্থাত উপনীত হৈছোঁ — যি অৱস্থাত আমি ভৱিষ্যতলৈ আত্ম-বিশ্বাস আৰু আশাবাদী মনোভাবেৰে দৃষ্টি নিক্ষেপ কৰিব পৰা হৈছোঁহঁক। ১৯৭১ চনৰ বছৰটো আমাৰ জাতিৰ ইতিহাসত এটা অতি স্মৰণীয় আৰু তাৎপৰ্য্যপূৰ্ণ বছৰ। এই বছৰত দেশে শ্ৰীমতী গান্ধীৰ মাজত এক শক্তিশালী আৰু উদ্দেশ্য-সচেতন নতুন নেতৃত্ব আৱিষ্কাৰ কৰিলে। জাতিৰ এটা অতি সঙ্কটপূৰ্ণ মুহূৰ্তত শ্ৰীমতী গান্ধীয়ে দেশক যি ৰাজনৈতিক সুস্থিৰতা আৰু সবল নেতৃত্ব দিলে তাৰ ফলতেই আমি পাকিস্তানৰ বিৰুদ্ধে হোৱা এক নৈতিক যুদ্ধত অতি গৌৰৱ-ময় আৰু নিৰ্ণয়াত্মক জয়লাভ কৰিবলৈ সক্ষম হ'লোঁহঁক। এই যুদ্ধৰ পৰিণতিয়ে দক্ষিণ এচিয়াৰ মানচিত্ৰ আৰু ইতিহাস চিৰকাললৈ সলনি কৰি দিলে, এখন নতুন ৰাষ্ট্ৰৰ জন্ম-লাভত ভাৰতক ধাত্ৰীৰ ভূমিকাত অৱতীৰ্ণ কৰালে, পাকিস্তানৰ পুনৰ্বিভাজনৰ মাজত আমেৰিকাৰ নব-সাম্ৰাজ্যবাদক সমাধিস্থ কৰিলে, আৰু সৰ্বোপৰি বিশ্বৰ জাতিসমূহৰ মাজত ভাৰতক এক মহান মৰ্য্যাদাৰ আসনত প্ৰতিষ্ঠিত কৰিলে। সপ্তম দশকত ভাৰতৰ শক্তি আৰু মান-মৰ্য্যাদা যি গতিৰে নিম্ন-গামী হৈছিল তাক ৰুদ্ধ কৰি অষ্টম দশকৰ প্ৰথম বছৰতে ভাৰতক এক অভূতপূৰ্ব মৰ্য্যাদাৰ আসনলৈ পুনৰ তুলি লৈ যোৱা হ'ল। অৰ্থনৈতিক ক্ষেত্ৰতো এই বছৰটো ভাৰতৰ কাৰণে এটা যুগান্তকাৰী বছৰ বুলি ক'ব পাৰি। খাদ্য উৎপাদনৰ ক্ষেত্ৰত বহু শতাব্দী ধৰি ভাৰত এখন দুখীয়া আৰু ঘাটি পৰা দেশ। কিন্তু সেউজীয়া বিপ্লৱৰ কল্যাণত ভাৰতে যোৱা কেইবছৰমানত ঘেঁহুৰ ক্ষেত্ৰত বাহি উৎপাদন কৰিবলৈ সক্ষম হ'ল আৰু চাউলৰ ক্ষেত্ৰতো ই স্বাবলম্বী হৈ উঠিল। চলিত বছৰৰপৰা ভাৰতে বিদেশৰপৰা চাউল ৰপ্তানি নকৰিবলৈ সিদ্ধান্ত লৈছে। ই আমাৰ জাতিৰ ইতিহাসত এটা অতি তাৎপৰ্য্যপূৰ্ণ কীৰ্ত্তি। গধুৰ শিল্পৰ ক্ষেত্ৰতো ভাৰতে দিনে দিনে বয়ঃপ্ৰাপ্তিৰ ফালে দ্ৰুতগতিৰে আগবাঢ়িছে আৰু আধুনিক ঔদ্যোগিক ৰাষ্ট্ৰ এখনৰ সবল বুনিয়াদ এই দেশত ইতিমধ্যেই নিৰ্মিত হৈ গৈছে বুলি বিদেশী সমালোচকসকলেও স্বীকাৰ কৰিছে।

মুঠতে ১৯৭১ চনৰ বছৰটো আমাৰ কাৰণে এটা আশা আৰু কৃতকাৰ্য্যতাৰ বছৰ। পাৰ হৈ যোৱা বছৰটোৰপৰা ১৯৭২ চনে যি উত্তৰাধিকাৰ লাভ কৰিছে সি আমাক ভৱিষ্যতলৈ আশাৰ দৃষ্টিৰে চাবলৈ উৎসাহিত কৰিছে। কিন্তু আমাৰ জাতিৰ সমুখত যি আচল প্ৰত্যাহ্বান — সি এতিয়াও আমাৰ সমুখতহে আছে, আমি এতিয়াও তাক অতিক্ৰম কৰি অহা নাই। সেই প্ৰত্যাহ্বান হ'ল আমাৰ সমাজ-ব্যৱস্থাৰ আমূল পুনৰ্বিন্যাস কৰি দেশৰ সকলো নাগৰিকক অৰ্থনৈতিক স্বাধীনতা দিয়াৰ প্ৰত্যাহ্বান। অৰ্থনৈতিক স্বাধীনতা আৰু মৰ্য্যাদাৰ অবিহনে কেৱল ৰাজনৈতিক স্বাধীনতা আৰু মৰ্য্যাদাৰ কোনো অৰ্থ নাই। আজি জাতিয়ে যি নতুন আত্ম-প্ৰত্যয় লাভ কৰিছে তাক যদি দেশৰ অৰ্থনৈতিক পুনৰ্গঠন আৰু নতুন সমাজ-ব্যৱস্থা ৰচনাৰ কামত লগোৱা হয়, তেতিয়াহে সি আমাৰ জাতিৰ ইতিহাসত এটা অৰ্থপূৰ্ণ সিদ্ধি-লাভ বুলি পৰিগণিত হ'ব। এই ক্ষেত্ৰত দেশৰ ৰাজনৈতিক নেতৃত্বই ১৯৭২ চনত কোন পথেৰে আগবাঢ়িব তাৰ প্ৰতি জনসাধাৰণে সতৰ্ক দৃষ্টি ৰাখিব। চলিত দশকটো ভাৰতৰ কাৰণে এক অতি মহত্বপূৰ্ণ আৰু যুগান্তকাৰী দশক ৰূপে পৰিগণিত হ'ব পাৰে। এটা বিষয়ে কোনো সন্দেহ নাই যে বহু শতাব্দীৰ অদৃষ্ট-বাদ আৰু অগ্ৰালসতাৰ অন্তত ভাৰতৰ জনসাধাৰণে এক নতুন জীৱনৰ কাৰণে ব্যাকুল হৈ উঠিছে। তেওঁলোকৰ এই ব্যাকুল আৰু পৰিৱৰ্তন-স্পৃহাক এতিয়া কোনো বাধা-বিঘিনি আৰু মিথ্যাচাৰেই দমাই ৰাখিব নোৱাৰে। চলিত দশকতেই আমি ভাৰতীয় সমাজ-ব্যৱস্থাৰ বৈপ্লৱিক পুনৰ্বিন্যাসৰ কাম সমাপ্ত কৰিব লাগিব, আৰু ১৯৭২ চনৰ গণৰাজ্য দিৱসেই সেই মহান সংকল্প গ্ৰহণ কৰাৰ উপযুক্ত সময়।

সাপ্তাহিক নীলাচল, ১৬৭ সংখ্যা : ২ ফেব্রুৱাৰী, ১৯৭২

অসমৰ ৰাজনীতিৰ নাটকীয় দৃশ্য-পৰিবৰ্তন

সাধাৰণ নিৰ্বাচনলৈ আৰু মাত্ৰ পাঁচ সপ্তাহ সময় থাকোঁতে অসমৰ মন্ত্ৰী-সভাই পদ-ত্যাগ কৰি এখন নতুন মন্ত্ৰী-সভাৰ কাৰণে ঠাই এৰি দিব লগা হ'ল। তাৰ কেইদিনমানৰ আগতে মধ্য-প্ৰদেশতো অনুৰূপ ঘটনা ঘটিছিল। মনত ৰখা দৰকাৰ যে দুয়োখন ৰাজ্যতেই মন্ত্ৰী-সভাই স্বেচ্ছাই পদ-ত্যাগ কৰা নাই বা সংখ্যা-গৰিষ্ঠতা হেৰুৱাই পদত্যাগ কৰিবলৈকো বাধ্য হোৱা নাই। প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীৰ নিৰ্দেশমতেই দুয়োখন মন্ত্ৰী-সভাই বিনা বাক্য-ব্যয়ে পদত্যাগ কৰিবলৈ বাধ্য হৈছে। নতুন প্ৰতিনিধি আৰু নতুন চৰকাৰ বাছি লবলৈ জনসাধাৰণক সুবিধা দিবৰ কাৰণেই গণতান্ত্ৰিক ৰাষ্ট্ৰত এটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নিৰ্বাচন পতা হয়। তেনেস্থলত সাধাৰণ নিৰ্বাচনলৈ আৰু মাত্ৰ পাঁচ সপ্তাহ সময় থাকোঁতে আৰু মন্ত্ৰী-সভাৰ প্ৰতি সংখ্যা-গৰিষ্ঠ সদস্যৰ সমৰ্থন অটুট থকা অৱস্থাত মন্ত্ৰী-সভাক পদত্যাগ কৰিবলৈ বাধ্য কৰাটো এটা নতুন ধৰণৰ ৰাজনৈতিক পৰীক্ষা। ইয়াৰ তাৎপৰ্য্য আৰু সম্ভাব্য প্ৰতিক্ৰিয়া সম্পৰ্কে গভীৰভাৱে চিন্তা কৰি চোৱা প্ৰয়োজন। অৱশ্যে মনত ৰখা দৰকাৰ যে এইক্ষেত্ৰত বিচাৰ্য্য বিষয় নীতি বা অদৰ্শহে, কোনো ব্যক্তিবিশেষ নহয়।

গ্ৰাহাম গ্ৰীনে কৈছিল — 'বেছিভাগ মানুহেই ভাবে যে মানুহবোৰ বা বস্তুবোৰ হয় ক'লা নহয় বগা, আচলতে সি ধূসৰহে।' শ্ৰীমতী ইন্দিৰা গান্ধীৰ কাৰ্য্য-কলাপক এদল মানুহে এক বাক্যে নিন্দা কৰিছে, আন এদলে অন্ধভাৱে প্ৰশংসা কৰিছে। কিন্তু আমাৰ মনত অসম কংগ্ৰেছ আৰু অসম চৰকাৰ সম্পৰ্কে তেওঁৰ সিদ্ধান্ত ভাল আৰু বেয়াৰ সংমিশ্ৰণ বুলিহে অনুভৱ হৈছে। আমি ভাবোঁ যে শ্ৰীমতী গান্ধীৰ উদ্দেশ্যৰ সততা সম্পৰ্কে সন্দেহৰ কোনো অৱকাশ নাই। ভাৰতীয় সমাজৰ পুনৰ্ব্বিন্যাসৰ কাৰণে তেওঁৰ সমুখত এখন সুস্পষ্ট ৰাজনৈতিক আৰু অৰ্থনৈতিক আঁচনি আছে। এই আঁচনিক কাৰ্য্যকৰী কৰিবলৈ তেওঁ কংগ্ৰেছ অনুষ্ঠানটোক এটা সম্পূৰ্ণ নতুন ৰূপ দিব খোজে। কংগ্ৰেছৰ বিভাজন, বিভিন্ন ৰাজ্যত অদৰ্থ কংগ্ৰেছ গঠন, মন্ত্ৰী-সভাৰ আকস্মিক সাল-সলনি — এই সকলোবোৰ কাৰ্য্যৰ একমাত্ৰ উদ্দেশ্য হ'ল কংগ্ৰেছ অনুষ্ঠানটোক নতুন ৰাজনৈতিক আৰু অৰ্থনৈতিক আঁচনিসমূহ কাৰ্য্যকৰী কৰিবৰ কাৰণে এটা শক্তিশালী আৰু উপযোগী হাতিয়াৰ হিচাবে গঢ়ি তোলা। তাকে কৰিবলৈ যাওঁতে দেখাত তেওঁ কেতবোৰ অগণতান্ত্ৰিক পদক্ষেপ লব লগা হৈছে। পণ্ডিত নেহৰু ইমান বেছি গণতান্ত্ৰিক আছিল যে গণতন্ত্ৰৰ সন্মান ৰক্ষাৰ কাৰণে তেওঁ কংগ্ৰেছ দলৰ বহুতো ঘোষিত লক্ষ্যকো বিসৰ্জন দিবলৈ বা কাৰ্য্যকৰী নকৰাকৈ পেলাই থবলৈ বাধ্য হৈছিল। শ্ৰীমতী ইন্দিৰা গান্ধীয়ে নিজৰ লক্ষ্যত যথাসম্ভৱ দ্ৰুত গতিৰে উপনীত হ'বৰ কাৰণে কেতবোৰ গণতান্ত্ৰিক কাৰ্য্য-পন্থা বিসৰ্জন দিবলৈ উপক্ৰম কৰা যেন দেখা গৈছে। এই দুটাৰ ভিতৰত কোনটো বেছি ভাল বা মঙ্গলজনক — সেইটো দেশবাসীয়ে সূক্ষ্মভাৱে বিচাৰ কৰি চাব লাগিব। অৱশ্যে সেই বিচাৰ আৰ্ম-চেয়াৰ পলিটিচিয়ানৰ দৃষ্টি-ভংগীৰে বা একাডেমিক দৃষ্টি-ভংগীৰে নহৈ ভাৰতৰ কোটি কোটি সৰ্বহাৰা মানুহৰ আশু প্ৰয়োজনৰ দৃষ্টি-ভংগীৰপৰা হ'ব লাগিব।

শ্ৰীমতী গান্ধীৰ কাৰ্য্যকলাপৰপৰা উদ্ভূত হোৱা দ্বিতীয় বিপদটো হ'ল ৰাজ্যসমূহক সম্পূৰ্ণ ৰূপে দুৰ্বল কৰি কেন্দ্ৰক সৰ্ব-শক্তিমান কৰি তোলাটো। আজি সকলোবোৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক সিদ্ধান্ত দিল্লীতহে,

হ'ব ধৰিছে। ৰাজ্যসমূহৰ নিজৰ এক্তিয়াৰৰ কথাবোৰৰ শেষ সিদ্ধান্তও দিল্লীতহে হয়। ৰাজ্যসমূহৰ অৰ্থনৈতিক স্বায়ত্ত শাসনো দিনে দিনে বৃদ্ধি পোৱাৰ পৰিবৰ্তে হ্ৰাসহে হৈ যাব ধৰিছে। অৱশ্যে ইয়াৰ কাৰণে কেৱল শ্ৰীমতী গান্ধীক দোষ দি লাভ নাই। ৰাজ্যিক নেতাসকলৰ পৰ্বত-প্ৰমাণ দোষ-দুৰ্বলতা আৰু জনসাধাৰণৰ ৰাজনৈতিক সচেতনতাৰ অভাবো ইয়াৰ কাৰণে সমানে জগৰীয়া। কিন্তু কাৰণটো যিয়েই নহওক এই অৱস্থাৰ অৱসান হোৱাটো একান্ত প্ৰয়োজন। অসমৰ নতুন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই ১৯৬৯ চনৰ ২১ মে' তাৰিখে আমাক দিয়া এটা বিশেষ সাক্ষাৎকাৰত কৈছিল যে কেন্দ্ৰক সংহত কৰি ৰাজ্যবোৰক অধিক শক্তিশালী কৰিব লাগে, ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কংগ্ৰেছৰ ঘোষিত নীতি। এই ঘোষিত নীতিক কাৰ্য্যকৰী কৰিবলৈ আৰু ৰাজ্যৰ কাৰণে অধিক স্বায়ত্ত শাসন আদায় কৰিবলৈ তেওঁ কেনে ধৰণৰ কাৰ্য্যপন্থা অনুসৰণ কৰে তাৰ প্ৰতি এই ৰাজ্যৰ জনসাধাৰণে সতৰ্ক দৃষ্টি ৰাখিব।

অসম কংগ্ৰেছ আৰু চৰকাৰৰ নেতৃত্বত হোৱা পৰিবৰ্তন বহুতো কাৰণবশতঃই আদৰণীয়। এই পৰিবৰ্তন সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে হোৱা হ'লে ভাল আছিল। সেইটো নোহোৱাৰ কাৰণে জনসাধাৰণেই ঘাইকৈ দায়ী। কুৰি বছৰতকৈ অধিককাল ধৰি জনসাধাৰণে গণতান্ত্ৰিক পদ্ধতিৰে অসৎ, দুৰ্নীতিপৰায়ণ আৰু স্বাৰ্থপৰ কেতবোৰ মানুহক ক্ষমতা-চ্যুত কৰাত সম্পূৰ্ণ ব্যৰ্থ হ'ল। ঔষধ সেৱনৰ দ্বাৰা নিৰাময় কৰিব নোৱৰা দুষ্ট-ক্ষত এতিয়া অস্ত্ৰোপচাৰৰ দ্বাৰা দূৰ কৰিব লগা হ'ল। কিন্তু অস্ত্ৰোপচাৰ বাৰে বাৰে সম্ভৱ নহয় বা সি কাম্যও নহয়। নিজৰ গণতান্ত্ৰিক অধিকাৰৰ সংৰক্ষণ আৰু বৰ্দ্ধনৰ কাৰণে এতিয়া জনসাধাৰণে আগতকৈ অধিক দৃঢ়তা আৰু সচেতনতাৰে যুদ্ধ কৰিব লাগিব।

নতুন মুখ্যমন্ত্ৰীলৈ ওলগ জনোৱাৰ লগতে আমি বিদায়ী মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। কিছু মানবীয় দুৰ্বলতা থকা সত্ত্বেও তেওঁ অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ অকুণ্ঠ মৰম আৰু শুভেচ্ছা লাভ কৰিছিল। আজি বহুতেই অনুভৱ কৰিছে যে তেওঁ অসমৰ জাতীয় জীৱনত নিজৰ ভূমিকা পালন কৰিবলৈ সম্পূৰ্ণ সুযোগ নাপালে। কিন্তু তেওঁ মন্ত্ৰী-সভাৰ অন্যান্য কেইজনমান সতীৰ্থৰ বিদায়ৰ কাৰণেও খুব কম মানুহেইহে বোধহয় অশ্ৰুপাত কৰিব।

পৰিবৰ্তনৰ প্ৰতীক হৈ আৰু নতুন প্ৰতিশ্ৰুতি লৈ যিসকল নতুন নায়ক আজি অসমৰ জনসাধাৰণৰ আগত থিয় হৈছেহি তেওঁলোকলৈ আমাৰ একমাত্ৰ অনুৰোধ এয়ে যে তেওঁলোকে যেন অতীতৰ ভুলবোৰৰ পৰা কিছু শিক্ষা আহৰণ কৰিবলৈ চেষ্টা কৰে। ইতিমধ্যেই এনে কিছুমান ঘটনা দেখা গৈছে যিবোৰে আমাক শঙ্কিত আৰু চিন্তান্বিত কৰি তুলিছে। Tweedle dum-ৰ ঠাইত আমি Tweedle dee-ক নিবিচাৰোঁ। কেৱল পৰিবৰ্তনেই যথেষ্ট নহয়, সেই পৰিবৰ্তন হ'ব লাগিব অধিক ভালৰ কাৰণে। আগন্তুক সাধাৰণ নিৰ্বাচনৰ কাৰণে মনোনয়ন বিতৰণ হ'ব শ্ৰীশৰৎ সিংহ আৰু তেওঁৰ অনুগামীসকলৰ কাৰণে এটা ডাঙৰ অগ্নি-পৰীক্ষা।

অসমৰ নতুন মুখ্যমন্ত্ৰী হিচাবে শৰৎ সিংহৰ কাৰ্য্যভাৰ গ্ৰহণ

কংগ্ৰেছ হাইকমাণ্ডৰ ইচ্ছা অনুসৰি শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে অসমৰ মুখ্যমন্ত্ৰিত্বৰ পৰা অব্যাহতি লোৱাৰ পিচত যোৱা সোমবাৰে সন্ধিয়া চিলঙৰ ৰাজভৱনৰ এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত অসম প্ৰদেশ তদৰ্থ কংগ্ৰেছৰ সভাপতি শ্ৰীশৰৎ চন্দ্ৰ সিংহই ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাবে শপত গ্ৰহণ কৰে। ৰাজ্যপাল ব্ৰজকুমাৰ নেহৰুৱে সিংহক শপত গ্ৰহণ কৰোৱায়।

ইয়াৰ আগতে সোমবাৰে (৩১ জানুৱাৰী ১৯৭২ ইং) আবেলি অসম বিধান সভা ভৱনৰ কংগ্ৰেছ বিধায়িনী দলৰ কক্ষত অসম কংগ্ৰেছ বিধায়িনী দলৰ এক বিশেষ সাধাৰণ সভা বিদায় দলপতি শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়ে নতুন দলপতি পদৰ বাবে শ্ৰীসিংহৰ নাম প্ৰস্তাৱ কৰে আৰু বিধানসভাৰ অধ্যক্ষ শ্ৰীমহীকান্ত দাস আৰু উপাধ্যক্ষ শ্ৰীৰথীন্দ্ৰনাথ সেনে প্ৰস্তাৱটো সমৰ্থন কৰাত শ্ৰীসিংহ সৰ্বসম্মতিক্ৰমে কংগ্ৰেছ দলৰ নতুন দলপতি নিৰ্বাচিত হয়। সভাত বিধায়িনী দলৰ মুঠ ৭৬ জন সদস্যৰ ভিতৰত ৬৫ জন উপস্থিত থাকে। অসম কংগ্ৰেছ ভূতপূৰ্ব সভাপতি আৰু নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতী আৰু বিদায়ী মন্ত্ৰীসভাৰ বিত্ত মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠী অনুপস্থিত বিশিষ্ট সদস্যসকলৰ ভিতৰত অন্যতম। কংগ্ৰেছ হাই কমাণ্ডৰ পক্ষৰ পৰা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক চন্দ্ৰজিৎ যাদব সভাত উপস্থিত আছিল।

চৌধুৰীৰ ব্যাখ্যা

বিধায়িনী দলৰ সভাত তেওঁ মুখ্যমন্ত্ৰীৰ পদৰ পৰা অব্যাহতি গ্ৰহণ কৰাৰ কাৰণ ব্যাখ্যা কৰি শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়ে কয় যে একাংশ সংবাদ-পত্ৰত নতুন দিল্লীত যোৱা সপ্তাহত বহা অসম প্ৰদেশ কংগ্ৰেছ নিৰ্বাচনী কমিটিৰ বৈঠকত তেওঁ নিজৰ অনুগামী সকলৰ বাবে মনোনয়ন আদায়ত ব্যৰ্থ হোৱাৰ বাবেই তেওঁ পদত্যাগ কৰিবলগীয়া হ'ল বুলি প্ৰকাশ পোৱা বাতৰি শুদ্ধ নহয়। শ্ৰীচৌধুৰীয়ে কয় যে যোৱা ২৭ জানুৱাৰীৰ দিনা নতুন দিল্লীলৈ বুলি যাত্ৰা কৰি বিমানৰ সংযোগ হেৰুৱাই কলিকতাত কন্তেক অৱস্থান কৰাৰ সময়ত চৌধুৰীয়ে নতুন দিল্লীৰ পৰা টেলিফোন যোগে বাৰ্তা পায় যে কংগ্ৰেছ হাই কমাণ্ডে অসমত কংগ্ৰেছ চৰকাৰৰ নেতৃত্বৰ পৰিবৰ্তন বাঞ্ছা কৰে। তেওঁ কয় যে তেওঁ ততালিকে হাই কমাণ্ডৰ ইচ্ছাৰ প্ৰতি সম্পূৰ্ণ সম্মতি প্ৰকাশ কৰে।

২৯ জানুৱাৰীৰ দিনা পুৱা প্ৰধান মন্ত্ৰীয়ে চৌধুৰীৰ সম্মতিৰ সলাগ লয় আৰু আশা প্ৰকাশ কৰে যে নিৰ্বাচন অন্ত নপৰা পৰ্যন্ত চৌধুৰীয়ে মুখ্যমন্ত্ৰীৰ কাৰ্যভাৰ চলাই যাব। চৌধুৰীয়ে সেই কাম চলাই যাবলৈ অস্বীকাৰ কৰাত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তনৰ প্ৰস্তাৱ বিবেচনাৰ্থে আগবঢ়ায়। শ্ৰীচৌধুৰীয়ে এই প্ৰস্তাৱৰ বিৰোধিতা কৰে। পিচত নতুন দিল্লীতেই অসম বিধায়িনী দলৰ সভা আহ্বানৰ প্ৰস্তাৱো উঠে। কিন্তু এইটোও সম্ভৱপৰ নহ'ব বুলি শ্ৰীচৌধুৰীয়ে জনোৱাত শেহত স্থিৰ হয় যে ৩১ জানুৱাৰীৰ দিনা চিলঙত বিধায়িনী (কংগ্ৰেছ) দলৰ বিশেষ সাধাৰণ সভা নতুন দলপতি নিৰ্বাচিত হ'ব।

দলপতি নিৰ্বাচিত হোৱাৰ পিচত ভাষণ-প্ৰসঙ্গত শ্ৰীসিংহই বিদায় দলপতি শ্ৰীচৌধুৰীৰ জনপ্ৰিয় নেতৃত্বৰ ভূয়সী প্ৰশংসা কৰে। লগতে শ্ৰীসিংহই কয় যে শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বত গ্ৰহণ কৰা সমাজবাদী ব্যৱস্থা স্থাপনৰ কাৰ্য্যসূচীৰ বাস্তৱায়নে তেওঁৰ আৰু দলৰ একমাত্ৰ লক্ষ্য হ'ব।

নতুন মুখ, নতুন অঙ্গীকাৰ

আগন্তুক নিৰ্বাচনৰ কাৰণে প্ৰাৰ্থী মনোনয়নৰ সম্পৰ্কত কংগ্ৰেছে এইবাৰ কেইটামান নতুন নীতি গ্ৰহণ কৰিছিল। সেইবোৰৰ ভিতৰত প্ৰধান আছিল এয়েই যে বৰ্তমানৰ এম এল এ সকলৰ ভিতৰত কমপক্ষেও এক তৃতীয়াংশক অৱসৰ দিব লাগিব; আৰু দ্বিতীয়তে যুৱক-সমাজক অধিকতৰ প্ৰতিনিধিত্ব দিব লাগিব। অসমৰ প্ৰাৰ্থী মনোনয়নৰ ক্ষেত্ৰত এই দুয়োটা প্ৰতিশ্ৰুতিকে আশা কৰাতকৈ বহু বেছি পৰিমাণে পালন কৰা হৈছে। বৰ্তমানৰ বিধান সভাৰ মুঠ ৭৬ জন সদস্যৰ ঠাইত মাত্ৰ ৩২ জনকহে পুনৰ মনোনয়ন দিয়া হৈছে। নিঃসন্দেহে ই এটা বৈপ্লৱিক পদক্ষেপ। ৰাজনীতিত ন্যস্ত স্বাৰ্থৰ অৱসান ঘটাবৰ কাৰণে শ্ৰীমতী গান্ধীয়ে যি দৃঢ় সঙ্কল্প গ্ৰহণ কৰিছে, অসমৰ প্ৰাৰ্থী মনোনয়নৰ ক্ষেত্ৰত সেই সঙ্কল্প নিৰ্ভুলভাৱে প্ৰতিফলিত হৈছে। সেইদৰে যুৱক সমাজক দিয়া প্ৰতিশ্ৰুতিও সম্পূৰ্ণভাৱে পালন কৰা হৈছে। এইবাৰৰ সৰ্বমুঠ ১১৪ জন কংগ্ৰেছ প্ৰাৰ্থীৰ ভিতৰত ৬১ জন, অৰ্থাৎ শতকৰা ৬২ ভাগ প্ৰাৰ্থীৰেই বয়স চল্লিশৰ তলত। যুৱক সমাজক দিয়া এই সুযোগ এক কথাত ক'বলৈ গ'লে অভূতপূৰ্ব। আশা কৰা হৈছে যে যুৱকসকলে এই সুযোগক প্ৰত্যাহ্বান বুলিহে গ্ৰহণ কৰিব।

অসমৰ প্ৰাৰ্থী নিৰ্বাচন সাধাৰণভাৱে সন্তোষজনক। মনোনয়ন-বঞ্চিত ঈৰ্ষা-কাতৰ লোকসকলৰ বাহিৰে আন সকলোৱেই এই কথা স্বীকাৰ কৰিব লাগিব যে এইবাৰ যিভাৱে প্ৰাৰ্থী নিৰ্বাচন কৰা হৈছে — সি নিশ্চয় বিধান সভাৰ চৰিত্ৰ আৰু চেহেৰা বহু পৰিমাণে সলনি কৰি দিব। কিন্তু কেইটামান বিশেষ মনোনয়নৰ ক্ষেত্ৰত কিছু আপত্তিৰ স্থল আছে। বিধান সভাৰ বৰ্তমানৰ সদস্যসকলৰ ভিতৰত কিছুমানক পুনৰ মনোনয়ন দিয়া আৰু আন কিছুমানক মনোনয়নৰপৰা বঞ্চিত কৰাৰ ক্ষেত্ৰত কোনো সুস্পষ্ট নীতি অনুসৰণ কৰা হোৱা নাই। এই ক্ষেত্ৰত নীতিৰ ঠাই দখল কৰিছে কেইজনমান ক্ষমতাশালী নেতাৰ স্বজন-তোষণ আৰু বন্ধু-প্ৰীতিৰ আতিশয্যই। তাতোকৈ ডাঙৰ আপত্তিৰ কথা এয়ে যে পূৰ্বৰ সকলো আশ্বাস আৰু প্ৰতিশ্ৰুতি ভঙ্গ কৰি এনে কেইজনমান লোকক পুনৰ মনোনয়ন দিয়া হৈছে— যিসকলৰ বিৰুদ্ধে বহুদিন ধৰি দুৰ্নীতিৰ অভিযোগ পুঞ্জীভূত হৈ আহিছে। গ্ৰেট বৃটেইনৰ প্ৰচলিত প্ৰথা অনুসৰি কোনো মন্ত্ৰী বা সংসদী সদস্যৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগ প্ৰমাণিত নহ'লেও তেওঁক সংসদী ৰাজনীতিৰপৰা অৱসৰ লবলৈ বাধ্য কৰোৱা হয়, কাৰণ ক্ষমতাসীন ৰাজনীতিজ্ঞৰ বিৰুদ্ধে বেছিভাগ ক্ষেত্ৰতেই দুৰ্নীতিৰ অভিযোগ প্ৰমাণ কৰা সহজ-সাধ্য নহয়; আনহাতে সেই দেশৰ জনসাধাৰণে বিশ্বাস কৰে যে ৰাজহুৱা জীৱনৰ নিৰ্মলতা আৰু প্ৰশাসনীয় সততাৰ খাতিৰত কোনো সন্দেহভাজন লোককেই সংসদী ৰাজনীতিত থাকিবলৈ দিয়া উচিত নহয়। আন কথাত ক'বলৈ গ'লে, কোনো সন্দেহভাজন লোককেই সংসদী ৰাজনীতিত থাকিবলৈ দিয়া উচিত নহয়। আন কথাত ক'বলৈ গ'লে, কোনো মন্ত্ৰী বা সংসদী সদস্যৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগ প্ৰমাণিত হওক বা নহওক তেনে অভিযোগ উঠিলেই সংশ্লিষ্ট মন্ত্ৰী বা সদস্যজনে সসন্মানে পদত্যাগ কৰিব লাগে আৰু পুনৰ মনোনয়ন বিচাৰিব নালাগে। বিলাতৰ পৰিপক্ক সংসদী গণতন্ত্ৰৰ এনে সুস্থ আদৰ্শ জাতীয় চৰিত্ৰত দুৰ্বল ভাৰতীয় সমাজে সহজে বা সোনকালে গ্ৰহণ কৰিব বুলি আশা কৰাটো ভুল।

এইবাৰ শ্ৰীমতী গান্ধীয়ে মহাৰাষ্ট্ৰ আদি কেইবাখনো ৰাজ্যৰ মনোনয়নৰ ক্ষেত্ৰত এই সুস্থ নীতি দৃঢ়তাৰে প্ৰয়োগ কৰি সকলোৰে প্ৰশংসাভাজন হৈছে। আশা কৰা হৈছিল যে অসমৰ ক্ষেত্ৰতো এই নীতি অতি নিষ্ঠাৰে আৰু দৃঢ়তাৰে অনুসৰণ কৰা হ'ব। কিন্তু ৰাইজৰ সেই আশা ব্যৰ্থ কৰি এইবাৰ এনে কেইজনমান লোকক মনোনয়ন দিয়া হৈছে — নানা দুৰ্নীতিৰ অভিযোগেৰে অভিযুক্ত যি কেইজন লোক আছিল যুৱক কংগ্ৰেছৰ ঘাই বিদ্ৰোহীৰ লক্ষ্য। কংগ্ৰেছৰ যি নতুন ভাব-মূৰ্তি গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছিল, এই লোককেইজনক মনোনয়ন দিয়াৰ ফলত সি কিছু পৰিমাণে ম্লান পৰিছে।

কিন্তু ওপৰত উল্লেখ কৰা ভুলৰ কাৰণে হতাশ হ'বৰ বিশেষ কাৰণ নাই। এইবাৰ কংগ্ৰেছে বহুতো নতুন লোকক মনোনয়ন দিছে। তেওঁলোকৰ বেছিভাগেই ডেকা মানুহ। তেওঁলোকে যদি নিজৰ ঘোষিত আদৰ্শত অবিচলিত হৈ থাকি অসমৰ ৰাজনীতিক দুৰ্নীতি-মুক্ত কৰিবৰ কাৰণে একতাবদ্ধ হৈ কাম কৰে, তেন্তে তেওঁলোকে বেয়া মানুহকেইজনক এঘৰীয়া কৰি তেওঁলোকক শক্তিহীন কৰি তুলিবলৈ সক্ষম হ'ব। বিশেষকৈ অসমৰ যুৱক কংগ্ৰেছ এই কামৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ। এইবাৰ নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ ভিতৰত আধাতকৈ বেছি নতুন মুখ আমি দেখিবলৈ পাইছোঁ। কিন্তু কেৱল মুখকেইখন নতুন হ'লেই নহ'ব, তেওঁলোকে নতুন অঙ্গীকাৰো কৰিব লাগিব। এই ক্ষেত্ৰত ৰাইজৰো এটা বিশেষ দায়িত্ব আছে। এইবাৰ যেতিয়া প্ৰাৰ্থীসকলে ভোট বিচাৰি ৰাইজৰ কাষ চাপিব, তেতিয়া ৰাইজে যেন প্ৰত্যেকজন প্ৰাৰ্থীৰপৰাই কেইটামান লিখিত প্ৰতিশ্ৰুতি আদায় কৰিবলৈ চেষ্টা কৰে। সেই প্ৰতিশ্ৰুতিবোৰৰ ভিতৰত বিশেষভাৱে এইকেইটা কথা থকা উচিত : (১) প্ৰাৰ্থীজনে এম এল এ বা মন্ত্ৰীৰ পদ লাভ কৰিয়েই নিজৰ সকলো সা-সম্পত্তিৰ পৰিমাণ ৰাজহুৱাভাৱে ঘোষণা কৰিব, আৰু ইয়াৰ পিচত বছৰে বছৰে তেনে ঘোষণা কৰি থাকিব; (২) কেতিয়াও ক্ষমতাৰ অপ-ব্যৱহাৰ নকৰোঁ বুলি তেওঁলোকে শপত খাব লাগিব; (৩) সাম্প্ৰদায়িকতাক বিষবৎ পৰিত্যাগ কৰিব লাগিব; (৪) প্ৰশাসনৰপৰা দুৰ্নীতিক দূৰ কৰিবলৈ অবিৰামভাৱে যুঁজ কৰিব লাগিব; (৫) এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত নিজ নিজ সমষ্টিৰ কেইটামান জৰুৰী প্ৰয়োজনীয় কাম সমাধা কৰিব লাগিব — অৱশ্যে এনে প্ৰতিশ্ৰুতি ৰাইজে এবাৰ আদায় কৰিয়েই ক্ষান্ত হৈ থাকিলে নচলিব। সকলো সময়তে এম এল এ সকলৰ কাম-কাজ আৰু গতি-বিধিৰ ওপৰত ৰাইজে চোকা দৃষ্টি ৰাখিব লাগিব; আৰু কোনোবা এম এল এ ই নিজৰ প্ৰতিশ্ৰুতি ভংগ কৰা যেন দেখিলেই তেওঁৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লবলৈ সক্ষম হ'ব লাগিব। নিজ নিজ সমষ্টিৰ এম এল এ জনৰ কাম-কাজৰ ওপৰত দৃষ্টি ৰাখিবলৈ, আৰু লগতে তেওঁক দিহা-পৰামৰ্শ দিবলৈ ৰাইজে একোখন স্থায়ী সৰ্বদলীয় উপদেষ্টা সমিতিও গঠন কৰিব পাৰে। এনে সমিতিয়ে এম এল এ জনৰ কাম-কাজৰ ওপৰত watch-dog-ৰ দৰে চকু ৰাখিব। অসমৰ প্ৰত্যেক সমষ্টিতে যদি এনে একো একোখন সমিতি গঠিত হয় আৰু সেই সমিতিয়ে এম এল এ জনৰ গতি-বিধি নিয়ন্ত্ৰণ কৰে, তেতিয়াহ'লে ৰাইজৰ প্ৰতিনিধি আৰু ৰাইজৰ মাজত ঘনিষ্ঠ যোগাযোগ ৰক্ষিত হোৱাৰ উপৰিও ৰাজনৈতিক দুৰ্নীতিৰ পাপ-চক্ৰকো ক্ৰমে ক্ৰমে মৰিমূৰ কৰিব পৰা যাব।

উদ্যোগ-পৰ্ব

আগন্তুক সাধাৰণ নিৰ্বাচনলৈ আৰু মাত্ৰ তিনি সপ্তাহ সময় বাকী আছে। অসমৰ প্ৰাক-নিৰ্বাচনী পৰিস্থিতি বিশ্লেষণ কৰি চালে দেখা যায় যে যোৱা চাৰিটা নিৰ্বাচনৰ দৰেই পঞ্চম সাধাৰণ নিৰ্বাচনতো অসমৰ কংগ্ৰেছ দলৰ কোনো শক্তিশালী প্ৰতিপক্ষ নাই। বিৰোধী দলসমূহ এতিয়াও বহুধা-বিভক্ত; সাধাৰণ কাৰ্য্যসূচী আৰু আদৰ্শৰ ভেটিত Polarisation বা পক্ষ-বিভাজনৰ কোনো লক্ষণ এইবাৰো স্পষ্ট হৈ নুঠিল। এইবাৰ সৰ্বমুঠ ৪৭৭ জন প্ৰাৰ্থীয়ে নিৰ্বাচনৰ কাৰণে থিয় দিছে। তাৰ ভিতৰত কংগ্ৰেছ প্ৰাৰ্থী হ'ল ১১৪ জন; চি পি আই ২৮ জন; এচ পি ৩৭ জন; চি পি এম ২০ জন; আৰ চি পি ১৩ জন; পি ডি পি ? জন; নিৰ্দলীয় ২৬০ জন; বাকীবোৰ অন্যান্য সৰু-সুৰা আৰু জিলা-ভিত্তিক দলৰ প্ৰাৰ্থী। অসমৰ বিৰোধী বাওঁ-পন্থী দলসমূহৰ ভিতৰত কমিউনিষ্ট পাৰ্টিৰ সংগঠনেই আটাইতকৈ শক্তিশালী। কমিউনিষ্ট পাৰ্টিক বাদ দি অসমত কোনো ধৰণৰ বিৰোধী বাওঁ-পন্থী যুক্ত-ফ্ৰণ্ট সম্ভৱ নহয়। কিন্তু এইবাৰ সৰ্বভাৰতীয় ভিত্তিত কমিউনিষ্ট দলে কংগ্ৰেছৰ লগতহে মিত্ৰতা স্থাপন কৰিছে। অসমতো কমিউনিষ্ট পাৰ্টিয়ে কংগ্ৰেছৰ লগতহে বুজা-বুজিৰ মাজেদি কেইখনমান আসন ভাগ-বাটোৱাৰা কৰিবলৈ চেষ্টা কৰিছিল। যি কাৰণতেই নহওক সেই চেষ্টা ব্যৰ্থ হ'ল। কিন্তু তথাপি কমিউনিষ্ট পাৰ্টিক আৰু সম্প্ৰতি কংগ্ৰেছৰ প্ৰকৃত প্ৰতিপক্ষ বুলি গণ্য কৰিব নোৱাৰি। চ'চিয়েলিষ্ট পাৰ্টিয়ে এইবাৰ আন কোনো দলৰ লগত নিৰ্বাচনী মিত্ৰতা নকৰিবলৈ জাতীয় পৰ্য্যায়ত সিদ্ধান্ত লোৱাৰ ফলত অসমতো সেই দলক লৈ কোনো নিৰ্বাচনী জোট কৰাৰ প্ৰশ্ন নুঠিল। অকলেই নিৰ্বাচনৰ সমুখীন হ'ব খোজা এই পাৰ্টিয়ে অসমত এইবাৰ মাত্ৰ ৩৭ জন প্ৰাৰ্থী থিয় কৰাইছে। তাৰ সৰল অৰ্থ এয়েই যে এহাতে যেনেকৈ এই দলৰ কংগ্ৰেছৰ শক্তিক প্ৰত্যাহ্বান কৰিবলৈ অকণো শক্তি নাই, আনহাতে অন্যান্য বাওঁ-পন্থী দলসমূহৰ লগত মিলি-জুলি ঐক্য-বদ্ধ বিৰোধী দল হিচাবে কাম কৰিবলৈকো এই দলৰ কোনো সাধাৰণ কাৰ্য্যসূচী নাই। সৰ্ব-ভাৰতীয় দল হিচাবে চ'চিয়েলিষ্ট পাৰ্টিৰ শক্তি দিনে দিনে দ্ৰুত গতিৰে হ্ৰাস পাইছে। অসমতো যোৱা সাধাৰণ নিৰ্বাচনৰ পিচৰপৰা এই দলৰ শক্তি আৰু সংগঠন বৃদ্ধি হোৱা দূৰৰ কথা, অন্ততঃ হৈ প্ৰকাৰো কোনো লক্ষণ স্পষ্ট নহয়।

অসমৰ প্ৰধান বিৰোধী বাওঁ-পন্থী দল বুলিলে যাইকে কমিউনিষ্ট পাৰ্টি আৰু চ'চিয়েলিষ্ট পাৰ্টিকে বুজায়। এই দুয়োটা দলেই বাওঁ-পন্থী নিৰ্বাচনী মিত্ৰতাৰ প্ৰশ্নটো পৰিহাৰ কৰি চলাত এনে মিত্ৰতা গঢ়ি তুলিবলৈ প্ৰকৃতপক্ষে কোনো দলেই বাকী নাথাকিল। অৱশ্যে ছটা দল লাগি এইবাৰ এটা নিৰ্বাচনী মিত্ৰতা স্থাপন কৰিছে আৰু আসন বিতৰণৰ ক্ষেত্ৰতো তেওঁলোকে বুজাবুজিত উপনীত হ'বলৈ সক্ষম হৈছে। এই দল ছটা হ'ল-- জন-গণতান্ত্ৰিক দল, মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি, বিভলিউশ্যনেৰী কমিউনিষ্ট পাৰ্টি, বিভলিউশ্যনেৰী চচিয়েলিষ্ট পাৰ্টি, চচিয়েলিষ্ট ইউনিটি চেণ্টাৰ আৰু প্লেইনচ ট্ৰাইবেল কাউন্সিল। কিন্তু এই ছটা দলৰ নিৰ্বাচনী মিত্ৰতাই অসমৰ ৰাজনীতিত কিমানদূৰ প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব সেই বিষয়ে যথেষ্ট সন্দেহৰ থল আছে। এই ছটা দলৰ ভিতৰত মাত্ৰ পি ডি পি আৰু আৰ চি পি আইৰ বাহিৰে বাকী চাৰিটা দলৰ বৰ্তমানৰ বিধানসভাত এজনো প্ৰতিনিধি নাই। অৰ্থাৎ অসমত তেওঁলোকৰ দলীয় সংগঠন আৰু জন-সমৰ্থন নগণ্য। বৰ্তমানৰ বিধান সভাত পি ডি পিৰো যিকেইজন সদস্য আছে তেওঁলোকেও নিজৰ দলীয়

আদৰ্শ আৰু কাৰ্য্যসূচীৰ যোগেদি বিধানসভাত প্ৰবেশ কৰা নাছিল; ১৯৬৭ চনৰ নিৰ্বাচনৰ পিচতহে এই দল গঠিত হয় আৰু বিধান সভাৰ কেইজনমান সদস্যই এই দলত যোগ দিয়ে। লোকসভাৰ যোৱা মধ্যবৰ্তী নিৰ্বাচনত এই দলে সৰ্ব-প্ৰথমবাৰৰ কাৰণে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈ জনসাধাৰণৰ কাষ চাপিছিল। সেই নিৰ্বাচনত এই দলৰ আটাইকেইজন প্ৰাৰ্থীয়েই পৰাজিত হয়। এইবাৰৰ নিৰ্বাচনে অসমৰ ৰাজনীতিত এই দলৰ ভৱিষ্যত ভূমিকা নিৰ্ণয় কৰিব। কিন্তু এতিয়াই বিশেষভাৱে মন কৰিবলগীয়া কথা হ'ল এয়েই যে নিৰ্বাচনী মিত্ৰতাত আবদ্ধ হোৱা ছটা দলৰ ভিতৰত পি ডি পিয়েই দেখাত আটাইতকৈ শক্তিশালী হোৱা সত্ত্বেও এই দলে আগন্তুক নিৰ্বাচনৰ কাৰণে মাত্ৰ ৫ জন প্ৰাৰ্থীহে থিয় কৰাইছে। আৰ চি পি আই আৰু চি পি এমে কিন্তু প্ৰত্যেকেই ১৩ জনকৈ প্ৰাৰ্থী থিয় কৰাইছে। পি ডি পিৰ নিচিনা অসমৰ বিশেষ স্বাৰ্থ আৰু ৰাজ্যিক স্বায়ত্ত-শাসনৰ কাৰণে যুঁজ কৰিব খোজা এটা দলৰ পক্ষে মাত্ৰ ৫ জন প্ৰাৰ্থী থিয় কৰোৱা কথাটোৱে কিন্তু তেওঁলোকৰ আত্ম-বিশ্বাস বা দলীয় সাংগঠনিক শক্তিৰ প্ৰমাণ নিদিয়ে। এই কথা এতিয়া স্পষ্ট হৈ পৰিছে যে অদূৰ ভৱিষ্যতত অসমৰ ৰাজনীতিত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ পি ডি পিৰো ইচ্ছা আৰু সামৰ্থ্য দুয়োটাই নাই।

এইবাৰ দুশতকৈ অধিক নিৰ্দলীয় প্ৰাৰ্থীয়ে নিৰ্বাচনত থিয় দিছে। নিৰ্দলীয় প্ৰাৰ্থীসকলক ঘাইকৈ তিনিভাগত ভাগ কৰিব পাৰি। সৰহসংখ্যক নিৰ্দলীয় প্ৰাৰ্থীৰ কোনো ৰাজনৈতিক দৰ্শন বা বিশ্বাস নাই। চিঠি-খেলৰ টিকট কিনাৰ নিচিনাকৈ তেওঁলোকে প্ৰত্যেকটো নিৰ্বাচনতে একোবাৰকৈ নিজৰ ভাগ্য পৰীক্ষা কৰি চাব খোজে। দ্বিতীয়বিধ নিৰ্দলীয় প্ৰাৰ্থীয়ে বিশেষ এটা ৰাজনৈতিক আদৰ্শত বিশ্বাস কৰে, কিন্তু দলভুক্ত হৈ কাম কৰিব নোখোজে। নিৰ্বাচনত তেওঁলোকে নিৰ্দলীয় প্ৰাৰ্থীৰূপে থিয় দিলেও কোনো নহয় কোনো এটা দলৰ প্ৰচ্ছন্ন বা প্ৰকাশ্য সমৰ্থন লাভ কৰে। তৃতীয়বিধ নিৰ্দলীয় প্ৰাৰ্থীয়ে কোনো এটা বিশেষ দলৰ মনোনয়ন বিচাৰি বিফল হৈ পিচত নিৰ্দলীয় প্ৰাৰ্থীৰূপে থিয় হয়। সাধাৰণভাৱে আটাইবোৰ নিৰ্দলীয় প্ৰাৰ্থীয়েই গণতান্ত্ৰিক ব্যৱস্থাৰ কৃত-কাৰ্য্যতাৰ পথত এটা ডাঙৰ বাধা-স্বৰূপ। পৃথিৱীৰ যিবোৰ দেশত গণতান্ত্ৰিক ব্যৱস্থাই পৰিপক্কতা লাভ কৰিছে, সেইবোৰ দেশত নিৰ্দলীয় প্ৰাৰ্থী সম্পূৰ্ণৰূপে অদৃশ্য হৈ গৈছে। ওপৰত উল্লেখ কৰা তিনিবিধ নিৰ্দলীয় প্ৰাৰ্থীৰ ভিতৰত প্ৰথম আৰু তৃতীয় বিধেই গণতন্ত্ৰৰ কাৰণে আটাইতকৈ অবাঞ্ছনীয় আৰু বিপজ্জনক। প্ৰথম বিধৰ নিৰ্দলীয় প্ৰাৰ্থীয়ে ৰাজনৈতিক বিশৃংখলতাৰ সৃষ্টি কৰে; তৃতীয় বিধৰ নিৰ্দলীয় প্ৰাৰ্থীয়ে ৰাজনৈতিক আদৰ্শ আৰু কাৰ্য্যসূচীতকৈ ব্যক্তিৰ গুৰুত্ব অধিক বুলি প্ৰমাণিত কৰিবলৈ গৈ গণতান্ত্ৰিক ব্যৱস্থাৰ মূল নীতিৰেই বিৰোধিতা কৰে। আগন্তুক সাধাৰণ নিৰ্বাচনে এনে বিধৰ নিৰ্দলীয় প্ৰাৰ্থীসকলক ব্যাপক পৰাজয়ৰ সম্মুখীন কৰাই অসমত গণতন্ত্ৰৰ বিকাশৰ পথ আগতকৈ সুগম কৰি তুলিব বুলি আশা কৰা হৈছে।

মুঠতে কোনো বিৰোধী দলেই অকলে বা যুটীয়াভাৱে যোৱা ২৫ বছৰ ধৰি অসমত কংগ্ৰেছৰ কোনো বিকল্প শক্তি গঢ়ি তুলিব নোৱাৰিলে। এটা সাময়িক সমীক্ষাৰপৰা দেখা গৈছে যে অসমৰ বিৰোধী দলসমূহ আগতকৈ কিছু দুৰ্বলহে হৈছে, সেই অনুপাতে কংগ্ৰেছ আগতকৈ কিছু শক্তিশালী হৈছে। গতিকে আগন্তুক নিৰ্বাচনত অসমত কোনটো দলে জয়লাভ কৰি চৰকাৰ গঠন কৰিব সি আৰু কৌতূহলৰ বিষয় হৈ থকা নাই। যোৱা কিছুদিন ধৰি শ্ৰীমতী গান্ধীয়ে বাৰে বাৰে ঘোষণা কৰিছে যে তেওঁৰ দলে দাৰিদ্ৰ্যৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যি নতুন কাৰ্য্যসূচী হাতত লৈছে তাক কাৰ্য্যকৰী কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্যসমূহত শক্তিশালী আৰু সুস্থিৰ চৰকাৰ প্ৰতিষ্ঠিত হোৱাটো প্ৰয়োজন। প্ৰাক-নিৰ্বাচনী সমীক্ষাৰপৰা দেখা গৈছে যে শ্ৰীমতী গান্ধীৰ আহ্বানৰ প্ৰতি যথোপযুক্ত সঁহাৰি দিবলৈ ভোট-দাতা জনসাধাৰণ মানসিকভাৱে প্ৰস্তুত হৈছে।

আগন্তুক সাধাৰণ নিৰ্বাচন আৰু ৰাইজৰ বিচাৰ্য্য বিষয়

সাপ্তাহিক নীলাচল এখন সম্পূৰ্ণ নিৰপেক্ষ আৰু স্বাধীন-চিতিয়া বাতৰি কাকত। ই কোনো ৰাজনৈতিক দল-বিশেষৰ অন্ধ সমৰ্থক বা অনুগামী নহয়। কিন্তু নিৰপেক্ষতাৰ অৰ্থ নিশ্চয় এই নহয় যে যেতিয়া দুটা ততোধিক পথ কিম্বা কৰ্তব্যৰ মাজত যিকোনো এটাক বাছি লব লগা হয়, তেতিয়াও আমি নিৰপেক্ষতাৰ নামত নিষ্ক্ৰিয় আৰু উদাসীন হৈ থাকিম। আমাৰ কাকতৰ প্ৰথম সংখ্যাৰ সম্পাদকীয় প্ৰবন্ধতেই আমি লিখিছিলোঁ : 'কোনেও যেন এই আশা নকৰে যে গুৰুত্বপূৰ্ণ ঐতিহাসিক প্ৰশ্নবোৰৰ ক্ষেত্ৰত আমি নিৰপেক্ষ হৈ থাকিম, কিম্বা বৃহৎ ৰাজনৈতিক আৰু সামাজিক সমস্যাসমূহ সম্পৰ্কে হোৱা বিতৰ্কত আমি ভূমিকা লম কেৱল মুকলি মনৰ নিৰপেক্ষ শ্ৰোতাৰ। এই বিষয়ত দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলৰ লগত আমি সম্পূৰ্ণ একমত : 'I have rejected the view that only indifferent men are impartial men. The conception of individual intelligence, which confuses empty minds with open minds, is degenerate and must be repudiated.'

১৯৭১ চনৰ মাৰ্চ মাহত হোৱা লোক-সভাৰ মধ্যৱৰ্ত্তী নিৰ্বাচনত আমি কংগ্ৰেছৰ সপক্ষে ভোট দিবলৈ জনসাধাৰণক আহ্বান জনাইছিলোঁ। সেই আহ্বান কেৱল আবেগিক আহ্বান নাছিল; তাৰ সমৰ্থনত আমি যথেষ্ট যুক্তিও আগবঢ়াইছিলোঁ। আমাৰ বাই যুক্তি আছিল এয়েই যে ১৯৬৯ চনৰ ঐতিহাসিক বিভাজনৰ পিচত কংগ্ৰেছে এটা নতুন ৰূপ লৈছে আৰু স্থিতাবস্থাৰ অচলায়তনত আঘাত কৰি দেশৰ সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাত কেতবোৰ বৈপ্লৱিক পৰিবৰ্তন ঘটাবলৈ সচেষ্ট হৈছে। দ্বিতীয়তে, কংগ্ৰেছৰ বিকল্প এনে কোনো সংঘবদ্ধ ৰাজনৈতিক শক্তি নাই যি এক সাধাৰণ কাৰ্য্যসূচীৰ ভেটিত এটা সুস্থিৰ চৰকাৰ গঠন কৰি দেশক প্ৰগতিৰ পথত আগুৱাই নিব পাৰে। আমাৰ আহ্বানৰ পিচত যে দেশৰ জনসাধাৰণৰ বিপুল সমৰ্থন আছিল সেই কথা মধ্যৱৰ্ত্তী নিৰ্বাচনৰ ফলাফলে প্ৰমাণ কৰিলে। লগতে এই কথাও প্ৰমাণ কৰিলে যে সাপ্তাহিক নীলাচলে প্ৰয়োজনৰ মুহূৰ্তত দেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা আৰু ভাবাবেগক নিৰ্ভুলভাৱে প্ৰতিফলিত কৰিবলৈ সক্ষম হ'ল। সেই নিৰ্বাচনত জনসাধাৰণে কংগ্ৰেছ দলক লোকসভাত নিৰঙ্কুশ সংখ্যাধিক্য দিয়াৰ ফলতেই সংবিধানৰ ২৫, ২৬ আৰু ২৭ নম্বৰ সংশোধনী কৃতকাৰ্য্যতাৰে সমাধা কৰাটো সম্ভৱ হৈ উঠিল। বিশেষকৈ মৌলিক অধিকাৰ সম্পৰ্কীয় সংশোধনীটোৱে যে আমাৰ দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ আমূল পুনৰ্বিন্যাসৰ পথ সুগম কৰি তুলিলে – সেই বিষয়ে সন্দেহৰ কোনো অৱকাশ নাই। দ্বিতীয়তে, কেন্দ্ৰত জনসাধাৰণৰ বিপুল সমৰ্থনপুষ্ট এটা শক্তিশালী আৰু সুস্থিৰ চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ ফলতেই যে পাকিস্তানৰ বিৰুদ্ধে হোৱা যুদ্ধত বিৰাট জয়লাভ কৰি ভাৰতক দক্ষিণ এচিয়াৰ বৃহত্তম শক্তিৰূপে প্ৰমাণিত কৰাটো সম্ভৱ হ'ল – সেই বিষয়েও সন্দেহৰ কোনো অৱকাশ নাই। পাৰ্লিয়ামেণ্টত কংগ্ৰেছ দলে নিৰঙ্কুশ সংখ্যা-গৰিষ্ঠতা লাভ নকৰা হ'লে আৰু পদে পদে বাৰেৰকণীয়া বিৰোধী দলবোৰৰ হেঁচাৰ ওচৰত নতি-স্বীকাৰ কৰিব লগা হোৱা হ'লে এই যুদ্ধত কেন্দ্ৰীয় চৰকাৰৰ পক্ষে দৃঢ় আৰু সাহসী নীতি অৱলম্বন কৰাটো

সম্ভৱ হৈ নুঠিলহেঁতেন, আৰু তাৰ ফলত এই সমস্যাৰ শেষ পৰিণামো সম্পূৰ্ণ বেলেগ হৈ গ'লহেঁতেন। লোকসভাৰ যোৱা মধ্যবৰ্তী নিৰ্বাচনত জনসাধাৰণে যে শুদ্ধ ৰায় প্ৰদান কৰিলে সেই কথা যোৱা এবছৰৰ ঘটনাবলীয়ে সম্পূৰ্ণৰূপে সত্য বুলি প্ৰমাণ কৰিলে।

আৰু প্ৰায় দুসপ্তাহৰ পিচতে ৰাজ্যসমূহৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনৰ অসমৰ সৰ্বমুঠ ১১৪ খন আসনৰ কাৰণে একমাত্ৰ কংগ্ৰেছ দলেইহে আটাইকেইখন আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিছে। বাকী অন্যান্য দলসমূহৰ ভিতৰত এনে এটা দল নাই – যি আনকি ৫০ খন আসনৰ কাৰণেও প্ৰাৰ্থী থিয় কৰাইছে। তাৰ অৰ্থ এয়েই হয় যে এই দলবোৰে যদি কেনেবাকৈ কংগ্ৰেছতকৈ বেছি আসন লাভ কৰিবলৈ সমৰ্থও হয়, তেতিয়া হ'লেও এই সমস্ত দলবোৰে লগ লাগি এটা কোৱালিচন চৰকাৰ গঠন কৰিবলৈহে সক্ষম হ'ব। ১৯৬৭ চনৰ নিৰ্বাচনৰ ভাৰতৰ কেইবাখনো ৰাজ্যত জনসাধাৰণে বহুধা-বিভক্ত বিৰোধী দলবোৰক এনে কোৱালিচন চৰকাৰ গঠন কৰিবলৈ সুবিধা দিছিল। তাৰ পৰিণাম কি হ'ল সেই কথা জনসাধাৰণৰ স্মৃতিত এতিয়াও নিশ্চয় সজীৱ হৈ আছে। এই কোৱালিচন চৰকাৰবোৰে দেশক এটা সুস্পষ্ট সামাজিক আৰু অৰ্থনৈতিক লক্ষ্যৰ পথত আগুৱাই নিয়া দূৰৰ কথা – নিজৰ ভিতৰতে অন্তহীন খোৱা-কামোৰা আৰু দল বাগৰা-বাগৰি আদি নীতি-বিগৰ্হিত কাৰ্য্যৰ দ্বাৰা প্ৰশাসনীয় অচলাবস্থাৰ সৃষ্টি কৰি দেশৰ প্ৰগতি বহুখিনি ব্যাহত কৰিহে দিলে। সেই নিৰ্বাচনে এই কথাও প্ৰমাণ কৰি দিলে যে কংগ্ৰেছৰ বিপৰীতে এটা সুস্পষ্ট আৰু সু-সংহত বিকল্প ৰাজনৈতিক শক্তি গঢ়ি নুঠালৈকে নিৰ্বাচনৰ পিচত কৃত্ৰিম সুবিধাবাদী ঐক্যৰ ওপৰত প্ৰতিষ্ঠিত কোৱালিচন চৰকাৰৰ হাতত প্ৰশাসনৰ দায়িত্ব এৰি দিয়াটো দেশৰ স্বাৰ্থৰ পক্ষে অনুকূল নহয়।

অসমৰ বিশেষ পৰিস্থিতিত এই কথা স্পষ্ট হৈ পৰিছে যে কংগ্ৰেছৰ বাহিৰে আন কোনো দলেই চৰকাৰ গঠন কৰিবৰ জোখাৰে শক্তি আৰু আত্মবিশ্বাস লৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা নাই। দুটা প্ৰধান বিৰোধী দল কমিউনিষ্ট আৰু চচিয়েলিষ্ট পাৰ্টিয়ে নিজৰ ভিতৰতে বা অন্যান্য দলৰ লগত নিৰ্বাচনী মিত্ৰতা স্থাপন কৰিবলৈ কোনো সাধাৰণ লক্ষ্য আৰু কাৰ্য্যসূচী আৱিষ্কাৰ কৰিব নোৱাৰিলে। গতিকে নিৰ্বাচনৰ পিচত তেওঁলোকে সেইটো কৰিব পাৰিব বুলি আশা কৰাটো দুৰাশা মাথোন। বাকী যি ছয়টা সৰু-সুৰা দলে একেলগ হৈ নিৰ্বাচনী যুক্ত-ফ্ৰণ্ট বা মিত্ৰতা গঠন কৰিছে, তেওঁলোকৰ ভিতৰত দুটা কি তিনিটা দলৰ বাহিৰে বাকী কেইটাৰ অস্তিত্ব কাগজৰ বাহিৰে আন ক'তো থকাৰ প্ৰমাণ নাই। দীৰ্ঘদিনৰ প্ৰস্তুতিৰ মূৰতো যিবোৰ দলে জন-মানসত নিজৰ ভিত্তি-ভূমি প্ৰতিষ্ঠা কৰিব পৰা নাই, সেইবোৰ দলে নিৰ্বাচনৰ সুযোগ লৈ একেদিনাই জাঁপ মাৰি ক্ষমতাৰ আসন দখল কৰিবলৈ যোৱাটো আলাসত চাং পতাতকৈয়ো বেছি দুৰাশাৰ কাম মাত্ৰ। অকলে নিজৰ ভৰিত থিয় দিব নোৱৰা এই দলবোৰক বাদ দি নিৰ্বাচনী ৰণাঙ্গনত বাকী থাকিল মাত্ৰ বাৰেবৰণীয়া নিৰ্দলীয় প্ৰাৰ্থীসকল। গণতান্ত্ৰিক ব্যৱস্থাত নিৰ্বাচনৰ মূল নীতি হ'ল এয়েই যে বিভিন্ন সু-সংগঠিত ৰাজনৈতিক দলে একোটা সুস্পষ্ট লক্ষ্য আৰু কাৰ্য্যসূচী ৰাইজৰ আগত দাঙি ধৰে, আৰু নিৰ্বাচনত জয়ী হ'ব পাৰিলে সেই কাৰ্য্যসূচীবোৰ বাস্তৱত ৰূপায়িত কৰিম বুলি ৰাইজক প্ৰতিশ্ৰুতি দিয়ে। ৰাইজেও সেইবোৰ বিচাৰ-বিবেচনা কৰি চাই বিভিন্ন দলক ভোট দিয়ে। কোনো নিৰ্দলীয় প্ৰাৰ্থীৰ পক্ষেই ৰাইজক এনে প্ৰতিশ্ৰুতি দিয়া সম্ভৱ নহয়, কাৰণ সেই প্ৰতিশ্ৰুতিবোৰ কাৰ্য্যকৰী কৰিবলৈ তেওঁলোকৰ সমৰ্থনত কোনো দলীয় সংগঠন নাই। গতিকে সংসদী গণতান্ত্ৰিক ব্যৱস্থাত তথাকথিত নিৰ্দলীয় প্ৰাৰ্থী এটা সম্পূৰ্ণৰূপে খাপ নোখোৱা কথা। তাতে আকৌ এইবাৰ এনেকুৱা বহুত প্ৰাৰ্থী থিয় দিছে যিসকলে কংগ্ৰেছৰ মনোনয়ন বিচাৰি বিফল হৈহে নিজকে নিৰ্দলীয় প্ৰাৰ্থীৰূপে জাহিৰ কৰিছে। যিসকল লোকে দেশৰ সমাজ ব্যৱস্থাৰ পৰিবৰ্তন

হিচাবে, তেওঁলোকে কোনো কোনো সমষ্টিত ৰাইজৰ প্ৰতিনিধিজনৰ পৰিবৰ্তন হোৱাটোকো সহ্য কৰিব নোৱাৰে কিয়? যিসকল লোকে ৰাইজৰ সেৱাত নিজৰ সৰ্বস্ব ত্যাগ কৰিবলৈ সাজু থকা বুলি ঘোষণা কৰে, তেওঁলোকে এম এল এৰ গাড়ীখনো ত্যাগ কৰিব নোৱাৰে কিয়? ৰাইজে এইবাৰ এই কথা স্পষ্টভাৱে বুজি পোৱা উচিত যে যিসকল লোকে নিজৰ ব্যক্তিগত ৰাজনৈতিক উচ্চাকাংক্ষা আৰু স্বাৰ্থকে ৰাইজৰো স্বাৰ্থ বুলি ঘোষণা কৰিবলৈ স্পৰ্দ্ধা দেখুৱায়, সেইসকল লোকক ৰাজনৈতিক কাৰ্যাঙ্গনৰপৰা বহিষ্কাৰ কৰিব নোৱৰালৈকে ৰাজহুৱা জীৱন নিৰ্মল হ'ব নোৱাৰে আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ বিকাশৰ পথো সুগম হ'ব নোৱাৰে।

ওপৰৰ বিশ্লেষণৰপৰা এই কথা পৰিষ্কাৰ হৈ পৰিছে যে কংগ্ৰেছক এটা সুস্থিৰ আৰু সবল চৰকাৰ গঠন কৰিবলৈ দিয়াৰ বাহিৰে অসমৰ জনসাধাৰণৰ সমুখত দ্বিতীয় কোনো বিকল্প নাই। এটা সুস্থিৰ আৰু সবল কংগ্ৰেছ চৰকাৰৰ যি বিকল্প আছে – সি হ'ল ৰাজনৈতিক বিশৃংখলা, অচলাৱস্থা, আৰু শেষৰ অৱধাৰিত পৰিণাম স্বৰূপে ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন। কংগ্ৰেছক জয়যুক্ত কৰাৰ সপক্ষে এইটো হ'ল নেতিবাচক যুক্তি কিন্তু সদৰ্থক বা ইতিবাচক যুক্তিও নোহোৱা নহয়। এই কথা সম্পূৰ্ণ সত্য যে স্বাধীনতা-প্ৰাপ্তিৰ মুহূৰ্তৰপৰা একাদিক্ৰমে পঁচিশ বছৰ কংগ্ৰেছ দলেই ক্ষমতাত অধিষ্ঠিত থকা সত্বেও সমাজ-ব্যৱস্থাৰ কোনো মৌলিক পৰিবৰ্তন হোৱা নাই আৰু ফলস্বৰূপে দেশৰ সৰ্বহাৰা দৰিদ্ৰ জনসাধাৰণো অৰ্থনৈতিক শোষণপৰা মুক্ত হোৱা নাই। তাৰ প্ৰধান কাৰণ হ'ল এয়েই যে স্বাধীনতা লাভৰ পিচত কংগ্ৰেছ দলটো পৰিবৰ্তনৰ ধাৰক আৰু বাহক হোৱাৰ পৰিবৰ্তে শোষণৰ ভেটিত প্ৰতিষ্ঠিত প্ৰচলিত সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰধান ৰক্ষকহে হৈ পৰিছিল। যিসময়ত দেশৰ স্বাধীনতা অৰ্জনেই কংগ্ৰেছৰ একমাত্ৰ লক্ষ্য আছিল, সেই সময়ত সমাজৰ সৰ্ব-শ্ৰেণীৰ মানুহ আহি এই দলৰ পতাকাৰ তলত সমবেত হৈছিলহি। সেই মানুহবোৰৰ মাজত দৰিদ্ৰ জনসাধাৰণৰ প্ৰতিনিধি যেনেকৈ আছিল, ঠিক তেনেকৈ আছিল কোটিপতি ব্যৱসায়ী আৰু শোষক শ্ৰেণীৰ প্ৰতিনিধি। স্বাধীনতা লাভৰ পিচতো কংগ্ৰেছৰ ৰাজনৈতিক সংগঠন আৰু নেতৃত্ব অপৰিবৰ্তিত হৈ থকাৰ ফলত স্বাইকৈ উচ্চ-বিত্ত শ্ৰেণীৰ ক্ষমতাশালী নেতাসকলৰ হাততেই দলৰ অৰ্থনৈতিক নীতি-নিৰ্দ্ধাৰণৰ ক্ষমতাও অক্ষুণ্ণ হৈ থাকিল। স্বাধীনতা লাভৰ পিচতো সমাজৰ উচ্চ-বিত্ত শ্ৰেণীৰ বহুতো সুবিধাবাদী লোকে কংগ্ৰেছত দলে দলে যোগ দি এই দলৰ নীতি-নিৰ্ণয়ক যন্ত্ৰটো কবায়ত্ত কৰি ল'লে। স্বাভাৱিকতেই নিজৰ অৰ্থনৈতিক স্বাৰ্থক আঘাত কৰা আৰু জনসাধাৰণৰ শোষণ-ব্যৱস্থাৰ অন্ত পেলোৱা যি কোনো নীতি আৰু ব্যৱস্থা গ্ৰহণ কৰাৰপৰা কংগ্ৰেছ দলক বাধা দিয়াটোৱেই এইসকল লোকৰ সৰ্বপ্ৰধান লক্ষ্য হৈ উঠিল। তেওঁলোকৰ এই কাৰ্য্যত স্বাইকৈ সহায় কৰিলে দলৰ অবিসম্বাদী নেতা পণ্ডিত নেহৰুৰ গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি আনুগত্যৰ আতিশয্যই। একাদিক্ৰমে কুৰি বছৰ ধৰি এই জন-স্বাৰ্থবিৰোধী কংগ্ৰেছী কু-শাসন চলি থকাৰ পিচত ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত দেখা গ'ল যে দেশৰ জনসাধাৰণে আৰু এই প্ৰতিক্ৰিয়াশীল কু-শাসন সহ্য কৰি থাকিবলৈ ৰাজী নহয়। তেওঁলোকে বহুতো ৰাজ্যত কংগ্ৰেছক ক্ষমতা-চ্যুত কৰিলে, কিন্তু তাৰ বিকল্প হিচাবে কোনো এক সু-সংহত ৰাজনৈতিক শক্তিৰ জন্ম দিব নোৱাৰিলে। ফলত দেশ-ব্যাপী ৰাজনৈতিক বিশৃংখলা, অচলাৱস্থা আৰু ঠায়ে ঠায়ে সন্ত্ৰাসৰ ৰাজত্বৰ সূচনা হ'ল। কংগ্ৰেছৰ ৰাজত্বত অৰ্থনৈতিক শোষণৰ অন্ত নপৰিলেও দেশৰ ৰাষ্ট্ৰীয় সংহতি আৰু সুস্থিৰতা অব্যাহত আছিল; কিন্তু কংগ্ৰেছ-বিৰোধী শক্তিসমূহৰ ৰাজত্বত অৰ্থনৈতিক পুনৰ্বিন্যাস বা প্ৰগতিতো নহ'লেই, আনহাতে আইন-শৃংখলাৰ ব্যাপক অৱনতি ঘটি ৰাষ্ট্ৰৰ মূল কাঠামোটোৱেই ভাগি-ছিগি ঠান-বান হোৱাৰ উপক্ৰম হ'ল। তাৰ মূল কাৰণ হ'ল

এয়েই যে সুদীৰ্ঘ কুৰি বছৰৰ মূৰতো দেশৰ ব্যাপক জন-সমৰ্থন আৰু আনুগত্য লাভ কৰা কোনো বিকল্প ৰাজনৈতিক দল বা শক্তি গঢ়ি নুঠিল। এনে সময়তে ভাৰতৰ ৰাজনৈতিক মঞ্চত নতুনকৈ অৱতীৰ্ণ হোৱা শ্ৰীমতী ইন্দিৰা গান্ধীয়ে উপলব্ধি কৰিলে যে কংগ্ৰেছ দলক যদি দেশৰ সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ অস্ত্ৰ হিচাবে নতুনকৈ গঢ়ি তুলিব নোৱাৰি, – যদি এই দলে দেশৰ কোটি কোটি সৰ্বহাৰা জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সমৰ্থ নহয় তেন্তে জনতাৰ অসন্তোষৰ বন্যা-স্ৰোতত কংগ্ৰেছ দলতো উটি যাবই লগে লগে সমগ্ৰ দেশৰ ৰাষ্ট্ৰীয় সংহতি আৰু মূল কাঠামোটোও বিপদাপন্ন হৈ পৰিব। আনহাতে কংগ্ৰেছ দলক জনতাৰ আশা-আকাংক্ষাৰ প্ৰতীক কৰি গঢ়ি তুলিবলৈ হ'লে এই দলৰপৰা সকলো পৰিৱৰ্তন-বিৰোধী আৰু প্ৰতিক্ৰিয়াশীল লোকক বহিষ্কাৰ কৰিব লাগিব। এই সকলোবোৰ কথা চিন্তা কৰি তেওঁ এটা স্থিৰ সিদ্ধান্তত উপনীত হ'ল আৰু তাৰ পৰিণতি ঘটিল কংগ্ৰেছ দলৰ ১৯৬৯ চনৰ ঐতিহাসিক বিভাজনত।

বিপ্লৱৰ ব্যাকৰণ অনুসৰি নতুন ৰূপ লোৱা কংগ্ৰেছকো হয়তো সম্পূৰ্ণৰূপে বিপ্লৱবাদী দল বুলি কব নোৱাৰি। কিন্তু তথাপি এই কথা স্বীকাৰ কৰিবই লাগিব যে ভাৰতবৰ্ষৰ বিশেষ পৰিস্থিতিত কংগ্ৰেছ দলেই জনসাধাৰণৰ সৰ্বপ্ৰধান আশা-আকাংক্ষাৰ স্থল। বাকী বহুতো দলৰ বৈপ্লৱিক লক্ষ্য আছে, কিন্তু সেই লক্ষ্যত উপনীত হ'বৰ জোখাৰে উপযোগী বাহন অৰ্থাৎ দলীয় সংগঠন আৰু জনসমৰ্থন নাই। একমাত্ৰ কংগ্ৰেছ দলৰেই নিজৰ লক্ষ্যত উপনীত হ'বৰ জোখাৰে দলীয় সংগঠন আৰু জনসমৰ্থন আছে। তদুপৰি আজি পঁচিশ বছৰেও কোনো এটা কংগ্ৰেছ-বিৰোধী দলেই দেশৰ ইমূৰৰপৰা সিমূৰলৈ নিজৰ প্ৰভাৱ আৰু সংগঠন বিস্তাৰ কৰিব নোৱৰাৰপৰা এই কথাই প্ৰমাণিত হয় যে এই দলবোৰে ভাৰতৰ বিশেষ পৰিস্থিতি, পৰম্পৰা আৰু মনোভঙ্গীৰ লগত খাপ খুৱাই এতিয়াও এটি ৰাজনৈতিক দৰ্শন উদ্ভাৱন কৰিব পৰা নাই আৰু অন্তহীন হতাশাৰ মাজতো ভাৰতবৰ্ষৰ জনসাধাৰণে কংগ্ৰেছ দলকেই এতিয়াও প্ৰধান আশ্ৰয় বুলি অৱলম্বন কৰি আছে। বহু জাতি, বহু ধৰ্ম আৰু বহু ভাষা-অধ্যুষিত ভাৰতৰ জনসাধাৰণৰ হাতত কংগ্ৰেছ দলেই এতিয়াও প্ৰধান অস্ত্ৰ, আৰু এই অস্ত্ৰক অকামিলা বুলি দলিয়াই পেলাই নিদি বৰং তাক ধাৰ দি নব নব পৰিৱৰ্তনৰ উপযোগী হাতিয়াৰ হিচাবে গঢ়ি লোৱাটোহে অধিক বাঞ্ছনীয়। ১৯৬৯ চনৰ পিচৰপৰা কংগ্ৰেছ দলে নিজৰ চাৰিত্ৰিক ৰূপান্তৰৰ যথেষ্ট প্ৰমাণ দিছে। বিত্তীয় অনুষ্ঠানবোৰৰ ৰাষ্ট্ৰীয়কৰণ আৰু সংবিধানৰ মৌলিক অধিকাৰ সম্পৰ্কীয় ধাৰাৰ সংশোধন কৰি এই দলে দেশত সুদূৰ-প্ৰসাৰী অৰ্থনৈতিক পৰিৱৰ্তন আনিবৰ কাৰণে প্ৰস্তুত হৈছে; দ্বিতীয়তে, চোভিয়েট ৰুচিয়াৰ লগত দীৰ্ঘম্যাদী মিত্ৰতাৰ চুক্তিত আবদ্ধ হৈ আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত কমিউনিষ্ট পাৰ্টিৰ লগত মিত্ৰতা স্থাপন কৰি এই দলে নিজকে বাওঁ-পন্থী দল বুলি প্ৰমাণ কৰিছে। আশা কৰা হৈছে যে ৰাজ্যসমূহৰ আগন্তুক সাধাৰণ নিৰ্বাচনৰ পিচতেই কেন্দ্ৰ আৰু ৰাজ্য উভয় পৰ্য্যায়তে এই দলে বহু-প্ৰতীক্ষিত সামাজিক আৰু অৰ্থনৈতিক পুনৰ্বিন্যাসৰ কাম হাতত লব।

দুহাজাৰ বছৰৰ আগতেই গ্ৰীক্ দাৰ্শনিক এৰিষ্টটলে কৈছিল : 'Choice reveals character'— অৰ্থাৎ দুটা বা ততোধিক পথৰ ভিতৰত মানুহে যেতিয়াই যি কোনো এটা বাছি লব লগা হয়, তেতিয়াই বাছোঁতাজনৰ চৰিত্ৰ ফুটি উঠে। অহা নিৰ্বাচনৰ সময়তো প্ৰত্যেকজন ভোট-দাতাৰ চৰিত্ৰ ফুটি উঠিব। আমাৰ দেশত ৰাজনৈতিক বিপ্লৱৰ লগে লগে এটা সামাজিক বিপ্লৱো গঢ়ি নুঠাৰ ফলত বেছি ভাগ মানুহেই এতিয়াও জাত-কুল আৰু সংকীৰ্ণ ব্যক্তিগত আনুগত্যৰ দ্বাৰা প্ৰভাৱিত হৈহে ভোট দিয়ে। এনেকৈ দিয়া প্ৰত্যেকটো ভোটেই ভোট-দাতাজনৰ নিজৰ অজ্ঞাতে দৰিদ্ৰ জনসাধাৰণক শোষণ কৰি অহা দলটোক অধিক শক্তিশালী

আৰু দীৰ্ঘস্থায়ী কৰি তোলে। স্বাৰ্থপৰ আৰু মতলববাজী মানুহবোৰে জনসাধাৰণৰ অজ্ঞতা আৰু প্ৰগতিশীল সামাজিক চেতনাৰ অভাৱৰ সুযোগ লৈ নানা চলাহী কথাৰে তেওঁলোকক বিভ্ৰান্ত কৰি নিজৰ স্বাৰ্থ পূৰণ কৰে। জনসাধাৰণে এই কথা মনত ৰখা উচিত যে প্ৰচলিত সমাজ-ব্যৱস্থাৰ অৱসান ঘটাই নিজৰ ভাগ্য সলনি কৰিবলৈ জনমতৰ হেঁচা আৰু ভোটটোৰ বাহিৰে তেওঁৰ হাতত দ্বিতীয় অস্ত্ৰ নাই। গতিকে তেওঁলোকে নিজৰ সকলো বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি আৰু দূৰদৰ্শিতা সহকাৰে নিজৰ ভোটটো দিয়া উচিত। কোনজন মানুহ এম এল এ হ'লে গাঁৱৰ অঙহী-বঙহী কেইটা ল'ৰাক পিয়ন-মহৰীৰ চাকৰি দিয়াব পাৰিব বা কাৰ ঘৰৰ সমুখত নলী-নাদটো বহুৱাব পাৰিব একমাত্ৰ সেইবোৰ কথাই ভোট-দাতাৰ বিচাৰ্য্য বিষয় হোৱা উচিত নহয়; এইবোৰ কথা বিচাৰ কৰি যোৱা কুৰি বছৰে ভোট দি দি জনসাধাৰণৰ কোনো স্থায়ী মঙ্গল হোৱা নাই। জনসাধাৰণৰ একমাত্ৰ বিচাৰ্য্য বিষয় আৰু লক্ষ্য হোৱা উচিত সামগ্ৰিকভাৱে দেশৰ সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাৰ আমূল পৰিবৰ্তন — যাতে তাৰ ফলত তেওঁলোকৰ মৌলিক প্ৰয়োজনসমূহ পূৰ্ণ কৰি জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিব পাৰি। এইবাৰ কংগ্ৰেছে এই লক্ষ্যকে সমুখত লৈ নিৰ্বাচনী-যুদ্ধত অৱতীৰ্ণ হৈছে আৰু সমৰ্থন বিচাৰি জনসাধাৰণৰ কাষ চাপিছে। আমাৰ মনত সম্পূৰ্ণ বিশ্বাস জন্মিছে যে ১৯৬৯ চনৰ ঐতিহাসিক বিভাজনৰ পিচত কংগ্ৰেছ দলৰ চৰিত্ৰৰ সলনি হৈছে আৰু জনসাধাৰণৰ প্ৰকৃত কল্যাণৰ কাৰণে কেতবোৰ বিশেষ কাম কৰিবলৈ এই দলে আন্তৰিকভাৱে কামত অগ্ৰসৰ হৈছে। গতিকে অহা পাঁচ বছৰৰ কাৰণে এই দলে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিবোৰ কাৰ্য্যকৰী কৰিবৰ কাৰণে কাম কৰিবলৈ সুযোগ দিবৰ কাৰণে আগন্তুক সাধাৰণ নিৰ্বাচনত কংগ্ৰেছক ভোট দিবলৈ আমি জনসাধাৰণক আহ্বান জনালোঁ।

সামৰণিত অসম সম্পৰ্কে এটা কথা বিশেষভাৱে উল্লেখ কৰাটো প্ৰয়োজনীয় বুলি আমি বিবেচনা কৰিছোঁ। নিৰ্বাচনৰ আগে আগে যি কোনো দলৰ সপক্ষে বা বিপক্ষে আলোচনা কৰোঁতে সেই দলৰ সামাজিক আৰু অৰ্থনৈতিক কাৰ্য্যসূচীৰ মৌলিক বিষয়বোৰ সম্পৰ্কেহে আলোচনা হোৱাটো উচিত বুলি আমি বিবেচনা কৰোঁ। কিন্তু আমি অতি দুখেৰে সৈতে লক্ষ্য কৰিছোঁ যে এইবাৰ অসম কংগ্ৰেছত এটা দলৰ নেতৃত্বৰ অৱসান ঘটাই আন আন দলক নেতৃত্ব দিয়াৰ কাৰণেই নানা অবাস্তৱ কথাৰ অৱতাৰণা কৰি এই নতুন নেতৃত্বক লোক-চক্ষুত হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা হৈছে। কেইজনমান নেতাৰ ব্যক্তিগত ৰাজনৈতিক ভাগ্যৰ লগতে ৰাজ্যখনৰ সমগ্ৰ জনসাধাৰণৰ ভাগ্যও জড়িত বুলিও প্ৰমাণ কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে। তাকে কৰিবলৈ যাওঁতে কিছুমান স্বাৰ্থজড়িত মহলে আনকি সত্যক বিকৃত কৰিবলৈকো সংকুচিত হোৱা নাই। এনে কাৰ্য্য নৈতিকতাৰ পৰিপন্থী আৰু জন-স্বাৰ্থৰ কাৰণে ক্ষতিকাৰক। আগন্তুক নিৰ্বাচনত কোনো ব্যক্তিবিশেষ জনসাধাৰণৰ বিচাৰ্য্য বিষয় হোৱাটো উচিত নহয়। প্ৰধান বিচাৰ্য্য বিষয় হোৱা উচিত বিভিন্ন দলৰ কাৰ্য্যসূচী, অৰ্থনৈতিক লক্ষ্য আৰু এই লক্ষ্যত উপনীত হ'বৰ জোখাৰে দলৰ শক্তি, সংগঠন আৰু জন-সমৰ্থন। নিৰ্বাচনী-প্ৰচাৰৰ কৰ্ণ-পটাহ-বিকৃত কোলাহলত দিশহাৰা আৰু বিভ্ৰান্ত নহৈ জনসাধাৰণে যদি আগন্তুক নিৰ্বাচনত শুদ্ধ ৰায় প্ৰদান কৰে, তেন্তে ভাৰতীয় জনতাৰ কাৰণে এক নতুন সমাজ-ব্যৱস্থা সূচনা কৰাৰ পথত এটা উল্লেখযোগ্য পদক্ষেপ দিয়া হ'ব বুলি আমি অনুভৱ কৰোঁ।

সাপ্তাহিক নীলাচল, ১৭১ সংখ্যা : ১ মার্চ, ১৯৭২

বেলট্ এপাট শক্তিশালী অস্ত্র

পিয়েৰ প্ৰধোঁই কৈছিল — 'Universal suffrage means revolution' — অৰ্থাৎ সাৰ্বজনীন ভোটাধিকাৰৰ অৰ্থই হ'ল বিপ্লব। সমাজত দৰিদ্ৰ আৰু শোষিত মানুহৰ সংখ্যাই বেছি। গণতন্ত্ৰৰ মূল কথা হ'ল সংখ্যা-গৰিষ্ঠৰ শাসনাধিকাৰ। সমাজৰ সকলো প্ৰাপ্ত-বয়স্ক মানুহেই যেতিয়া ভোট দিয়াৰ অধিকাৰ পায় আৰু সেই অধিকাৰৰ দ্বাৰা নিজৰ পছন্দ মতে শাসন-ব্যৱস্থাক গঢ় দিবলৈ সুযোগ পায়, তেতিয়া স্বাভাৱিকতেই আশা কৰা হয় যে সমাজৰ সংখ্যা-গৰিষ্ঠ দৰিদ্ৰ আৰু শোষিত লোকসকলে এনে এটা শাসন-ব্যৱস্থা বাছি লব — যি ব্যৱস্থাই তেওঁলোকক অৰ্থনৈতিক শোষণৰপৰা মুক্ত কৰি তেওঁলোকৰ কাৰণে এটা নতুন সুখী আৰু সমৃদ্ধ জীৱনৰ পথ মুকলি কৰি দিব।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ মুহূৰ্তৰপৰাই এই দেশত সাৰ্বজনীন ভোটাধিকাৰৰ ভেটিত প্ৰতিষ্ঠিত গণতান্ত্ৰিক শাসন-ব্যৱস্থাৰ প্ৰবৰ্তন কৰা হৈছে। তাৰ পিচৰপৰা সুদীৰ্ঘ পঁচিশটা বছৰ আৰু চাৰিটা সাধাৰণ নিৰ্বাচন পাৰ হৈ গৈছে। ওপৰে ওপৰে চালে দেখা যায় যে এই দেশত গণতান্ত্ৰিক পৰীক্ষা সম্পূৰ্ণৰূপে কৃতকাৰ্য্য হৈছে। ৫৫ কোটি মানুহৰ এই বিশাল দেশত চাৰিটাকৈ সাধাৰণ নিৰ্বাচন অতি শান্তিপূৰ্ণভাৱে আৰু সুকলমে অনুষ্ঠিত হৈছে; ৰাজনৈতিক সুশৃংখলতা বিৰাজ কৰিছে; এই দেশৰ প্ৰতিবেশী প্ৰায়বোৰ ৰাষ্ট্ৰতে গণতন্ত্ৰৰ সৌধ তাছৰ ঘৰৰ দৰে ভাগি পৰা সত্বেও ভাৰতবৰ্ষত সি দিনে দিনে দৃঢ়তৰ হোৱাৰ লক্ষণ দেখা গৈছে। এই সকলোবোৰ সঁচা কথা। কিন্তু লগে লগে এই কথাও সঁচা যে ভাৰতবৰ্ষত সুদীৰ্ঘ ২৫ বছৰ ধৰি গণতান্ত্ৰিক শাসন-ব্যৱস্থা চলি থকা সত্বেও এই শাসন-ব্যৱস্থাই সমাজৰ শতকৰা নৱৈজন দৰিদ্ৰ আৰু দহজন শোষিত মানুহৰ মঙ্গল সাধন কৰাৰ পৰিবৰ্তে শতকৰা দহজন ভাগ্যবান আৰু সুবিধা-ভোগী মানুহকহে বেছি উপকাৰ কৰা দেখা গৈছে। ভাৰতবৰ্ষত যে ধনীসকল আগতকৈ বেছি ধনী হৈছে আৰু দুখীয়াসকল আগতকৈ বেছি দুখীয়া হৈছে — সি কেৱল ভিত্তিহীন অভিযোগ বা উদ্দেশ্য-প্ৰণোদিত ৰাজনৈতিক প্ৰচাৰ নহয়। তথ্য-পাতিৰ দ্বাৰা সি নিৰ্ভুলভাৱে প্ৰমাণিত হৈছে। গান্ধীৰপৰা আৰম্ভ কৰি সকলো ভাৰতীয় ৰাষ্ট্ৰ-নেতাই আশা কৰিছিল যে সাৰ্বজনীন ভোটাধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত গণতান্ত্ৰিক শাসন-ব্যৱস্থা প্ৰবৰ্তন হোৱাৰ লগে লগে ধনী-দুখীয়াৰ মাজত থকা বিৰাট আৰ্থিক ব্যৱধান একেদিনাই দূৰীভূত নহ'লেও ক্ৰমে ক্ৰমে সি হ্ৰাস পাব আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ পথ সুগম হ'ব। কিন্তু তেওঁলোকৰ সেই আশা প্ৰায় ব্যৰ্থ হৈছে। এনে অৱস্থাত স্বাভাৱিকতেই মনত এটা প্ৰশ্নৰ উদয় হয় : দেশত সংখ্যা-গৰিষ্ঠৰ শাসন অৰ্থাৎ দৰিদ্ৰ আৰু শোষিতৰ শাসন প্ৰবৰ্তিত হোৱা সত্বেও মুষ্টিমেয় এক শ্ৰেণীৰ মানুহৰ দ্বাৰা সংখ্যা গৰিষ্ঠ জনতাৰ ওপৰত চলা নিৰ্মম অৰ্থনৈতিক শোষণৰ অন্ত পৰা নাই কিয়? গোপন ভোটৰ দ্বাৰাই নিজৰ পছন্দমতে চৰকাৰ বাছি লবলৈ সুবিধা পোৱা সত্বেও তেওঁলোকে যোৱা পঁচিশ বছৰে এনেকুৱা এটা চৰকাৰহে বাছি লৈছেনে — যি চৰকাৰে শোষণৰ অন্ত পেলোৱাৰ পৰিবৰ্তে সেই শোষণ-ব্যৱস্থা অব্যাহত ৰখাতহে সহায় কৰে? অথবা গণতান্ত্ৰিক শাসন-ব্যৱস্থাতেই এনে কোনো অন্তৰ্নিহিত ত্ৰুটী আছে নেকি — যাৰ

ফলত তেনে ব্যৱস্থাৰ দ্বাৰাই সমাজৰ সংখ্যা-গৰিষ্ঠ সৰ্বহাৰাৰ শোষণৰ অন্ত পেলোৱাৰ পৰিবৰ্তে তাক দীৰ্ঘস্থায়ী কৰাতহে সহায় কৰা হয়?

সংখ্যা-গৰিষ্ঠৰ শোষণৰ ভেটিত প্ৰতিষ্ঠিত প্ৰচলিত সমাজ-ব্যৱস্থা সলনি কৰাৰ দুটাই মাত্ৰ পথ আছে ঃ এটা হ'ল বুলেটৰ পথ, অৰ্থাৎ সশস্ত্ৰ সংগ্ৰামৰ দ্বাৰা বৈপ্লৱিক পৰিবৰ্তনৰ পথ; আনটো হ'ল বেলটৰ পথ, অৰ্থাৎ সংগঠিত জনমতৰ সহায়েৰে গণতান্ত্ৰিক সংস্কাৰৰ পথ। স্বাভাৱিকতেই দ্বিতীয়টো প্ৰশ্ন অধিক সময়-সাপেক্ষ। অৱশ্যে এই পথেৰে আগবাঢ়িব খোজাসকলৰ কাৰণে তেওঁলোকৰ ধৈৰ্য্যশীল প্ৰতীক্ষাৰ কিছু পুৰস্কাৰো নোহোৱা নহয়। সি যি কি নহওক, অধিক বাক্-বিস্তাৰ নকৰি এই কথা একে আষাৰেই ক'ব পাৰি যে ভাৰতবৰ্ষত সশস্ত্ৰ বিপ্লৱ গঢ়ি তোলাৰ বা তাক কৃতকাৰ্য্য কৰি তুলিব পৰাৰ কোনো সম্ভাৱনা নাই। বৰ্তমানৰ বিশ্ব-পৰিস্থিতিয়ে সেই সম্ভাৱনা আৰু অধিক সুদূৰ পৰাহত কৰি তুলিছে। তদুপৰি শ্ৰেণী-সংগ্ৰামৰ প্ৰবক্তা আৰু হিংসাত্মক বিপ্লৱৰ পথেৰে সমাজ-ব্যৱস্থাৰ পুনৰ্বিন্যাসৰ স্বপ্ন দেখোঁতা কাৰ্ল মাৰ্ক্সেও স্বীকাৰ কৰি গৈছে যে সৰ্বহাৰাৰ অধিকাৰ প্ৰতিষ্ঠা কৰিবৰ কাৰণে হিংসা অনিবাৰ্য্য বা অপৰিহাৰ্য্য নহয়; যিবোৰ দেশত গণতন্ত্ৰ আৰু ব্যক্তি-স্বাধীনতা বিৰাজ কৰিছে, তেনেবোৰ দেশত শান্তিপূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰেও সমাজ-ব্যৱস্থাৰ সলনি কৰিব পাৰি।

দুটা কথা আমি স্বতঃসিদ্ধ বুলি ধৰি লব লাগিব। প্ৰথমতঃ, শান্তিপূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰেও সমাজ-ব্যৱস্থাৰ পুনৰ্বিন্যাস সম্ভৱ; দ্বিতীয়তে ভাৰতবৰ্ষৰ সমুখত গণতান্ত্ৰিক পদ্ধতিৰ বাহিৰে দ্বিতীয় কোনো বিকল্প নাই। তাৰ সৰল অৰ্থ এয়েই হয় যে ভাৰতবৰ্ষৰ কোটি কোটি সৰ্বহাৰা মানুহৰ ভাগ্য পৰিবৰ্তনৰ কাৰণে বেলটৰ কাগজখনৰ বাহিৰে তেওঁৰ হাতত দ্বিতীয় আন কোনো অস্ত্ৰ নাই। কিন্তু বাস্তৱ অভিজ্ঞতাৰপৰা দেখা গৈছে যে যোৱা পঁচিশ বছৰে এই অস্ত্ৰ প্ৰয়োগ কৰিও ভাৰতবৰ্ষৰ মানুহে নিজৰ ভাগ্য উল্লেখযোগ্যভাৱে সলনি কৰিবলৈ সক্ষম হোৱা নাই। তাৰ অৰ্থ কি এয়েই হ'ব পাৰে যে ভাৰতবৰ্ষৰ জনতাই এই অস্ত্ৰ নিৰ্ভুলভাৱে প্ৰয়োগ কৰিবলৈ সক্ষম হোৱা নাই?

এই কথা ঠিক যে ভাৰতত সাৰ্বজনীন ভোটাধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত গণতান্ত্ৰিক শাসন-ব্যৱস্থা প্ৰবৰ্তিত হোৱা সত্ত্বেও সংখ্যা-গৰিষ্ঠ দৰিদ্ৰ লোকসকলৰ ইচ্ছা আৰু আশা-আকাংক্ষা এই শাসন-ব্যৱস্থাৰ মাজত প্ৰতিফলিত হোৱা নাই। নিঃসন্দেহে তাৰ প্ৰধান কাৰণ হ'ল ভাৰতীয় জনসাধাৰণৰ ব্যাপক অজ্ঞতা, নিৰক্ষৰতা, আৰু তাৰ অৱধাৰিত পৰিণাম স্বৰূপ ৰাজনৈতিক চেতনাৰ অভাৱ। দ্বিতীয়তে ৰাজনৈতিক পণ্ডিতসকলে এই বুলিও মত প্ৰকাশ কৰিছে যে ইউৰোপৰ জনসাধাৰণে কেইবা শতাব্দী ধৰি অবিৰাম আন্দোলন কৰিহে নাগৰিক অধিকাৰ অৰ্থাৎ ভোট দিয়াৰ অধিকাৰ আদায় কৰিবলৈ সক্ষম হৈছে; গতিকে এই বহু-কষ্টাৰ্জিত অধিকাৰক তেওঁলোকে অতিশয় মূল্য দিয়ে আৰু তাৰ পৰিপূৰ্ণ সদ্ব্যৱহাৰ কৰে। আনহাতে সাৰ্বজনীন ভোটাধিকাৰ গছৰপৰা পকা ফল আপোনা-আপুনি সৰি পৰাৰ দৰে টপক্ কৰে ভাৰতীয় জনসাধাৰণৰ মুখত সৰি পৰিল; তাৰ কাৰণে তেওঁলোকে এদিনৰ কাৰণেও সংগ্ৰাম কৰিব লগা নহ'ল। সাৰ্বজনীন ভোটাধিকাৰ সম্পৰ্কে তেওঁলোকৰ Political education বা ৰাজনৈতিক শিক্ষা-লাভ একেবাৰেই নহ'ল; ফলত কোটি কোটি নিৰক্ষৰ ভাৰতীয় নাগৰিকে ভোট দিয়াৰ ক্ষেত্ৰত নিজৰ বিচাৰ-বুদ্ধি একেবাৰেই প্ৰয়োগ নকৰে আৰু আনৰ দ্বাৰা চালিত অন্ধৰ দৰে নিতান্ত যান্ত্ৰিকভাৱে ভোট দান কৰে। অৰ্থাৎ ভোটটো তেওঁলোকৰ হাতত সমাজ-বিপ্লৱৰ এপাত শক্তিশালী অস্ত্ৰ নহয়; সি নাগৰিকৰ অৱশ্য-পালনীয় এটা যান্ত্ৰিক বিচুৰেল বা সংস্কাৰ

মাত্র। তেওঁলোকৰ এই অজ্ঞতা, উদাসীনতা আৰু ৰাজনৈতিক চেতনাৰ অভাৱৰ সুযোগ লৈ স্বাৰ্থপৰ লোকসকলে সাৰ্বজনীন ভোটাধিকাৰক সমাজ-ব্যৱস্থাৰ পুনৰ্বিন্যাসৰ অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰাৰ পৰিবৰ্তে শোষণ আৰু অসাম্যৰ ভেটিত প্ৰতিষ্ঠিত সেই সমাজ ব্যৱস্থাক সুদৃঢ় কৰাৰ কামতহে ব্যৱহাৰ কৰি আহিছে। তৃতীয়তে সাম্প্ৰদায়িকতা আৰু জাতিভেদ-প্ৰথাই ভাৰতীয় সমাজক এনেভাৱে বহুধা-বিভক্ত কৰি ৰাখিছে যে Social mobility বা সামাজিক চল-মানতাৰ অভাৱত ইয়াৰ বেছিভাগ মানুহৰেই আৰ্থিক আৰু সামাজিক জীৱন চিৰকাল পঙ্গু হৈ থাকিবলৈ বাধ্য হয়। নব-জাগ্ৰত ৰাজনৈতিক-অৰ্থনৈতিক আশা-আকাংক্ষা আৰু শতাব্দী-প্ৰাচীন সামাজিক স্থবিৰতাৰ মাজত যেতিয়া সংঘৰ্ষ হয়, তেতিয়া বেছিভাগ ক্ষেত্ৰত সামাজিক স্থবিৰতাৰেই জন্ম হয়। যিবোৰ মানুহে অৰ্থনৈতিক বৈষম্য দূৰ হোৱাটো বিচাৰে, সেইবোৰ মানুহেই আকৌ সামাজিক বৈষম্য আৰু সাম্প্ৰদায়িক বিভেদক জীৱনৰ চিৰন্তন নিয়ম বুলি গ্ৰহণ কৰে। তেওঁলোকে এই কথা নাজানে যে সামাজিক বৈষম্য আৰু বিভেদ থকালৈকে অৰ্থনৈতিক বৈষম্যও সম্পূৰ্ণৰূপে দূৰীভূত হ'ব নোৱাৰে। ভাৰতবৰ্ষত গণতন্ত্ৰ কৃতকাৰ্য্য হ'বলৈ হ'লে শিক্ষাৰ দ্ৰুত প্ৰসাৰ, ৰাজনৈতিক চেতনা বৃদ্ধি, আৰু এটা সামাজিক বিপ্লৱ সংঘটিত হ'ব লাগিব। সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্তনৰ কাৰণে কাম কৰা লোকসকলে এই কেইটা কথাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া উচিত।

আৰু এসপ্তাহৰ পিচতে কোটি কোটি মানুহে ভোট-কেন্দ্ৰলৈ গৈ সামান্য এখিলা কাগজৰ দ্বাৰা অহা পাঁচ বছৰৰ কাৰণে দেশৰ ৰাজনৈতিক ভৱিষ্যত নিৰ্ণয় কৰিব। তেওঁলোকে সেই কাগজখিলাক নিজৰ ভাগ্য পৰিবৰ্তনৰ কাৰণে এপাত শক্তিশালী অস্ত্ৰ হিচাবেও ব্যৱহাৰ কৰিব পাৰে, নাইবা শোষণৰ যন্ত্ৰটোক বেছি মসৃণ আৰু মজবুত কৰি তোলা লুব্ৰিকেণ্ট বা তেল হিচাবেও ব্যৱহাৰ কৰিব পাৰে। বিৰাট আৰু সামগ্ৰিক অৰ্থনৈতিক লক্ষ্য চকুৰ আগত ৰাখি দিয়া প্ৰত্যেকটো ভোটেই জনতাৰ ভাগ্য পৰিবৰ্তনত সহায় কৰিব; আনহাতে জাত-কুল, অঞ্চলী-বঞ্চলী, গাঁও-চুবুৰী আৰু সঙ্কীৰ্ণ ব্যক্তিগত স্বাৰ্থৰ দ্বাৰা প্ৰভাৱিত হৈ দিয়া প্ৰত্যেকটো ভোটেই দৰিদ্ৰ আৰু হৃত-সৰ্বস্ব মানুহৰ অভিশপ্ত দুৰ্দশাক আৰু বেছি দীঘলীয়া কৰিব। ভাৰতৰ মানুহে ভোটৰ সদ্ব্যৱহাৰ কৰিবলৈ শিকা নাই, সেয়েহে তেওঁলোকৰ দুৰৱস্থাৰো কোনো সলনি হোৱা নাই। আগন্তুক নিৰ্বাচনত ভোটৰ সদ্ব্যৱহাৰ কৰক; জাত-কুল, চুবুৰী আৰু সাম্প্ৰদায়িক বিচাৰৰ দ্বাৰা প্ৰভাৱিত নহৈ বিশুদ্ধ অৰ্থনৈতিক লক্ষ্য চকুৰ আগত ৰাখি ভোট দিয়ক; ৰাইজৰ অজ্ঞতাৰ সুযোগ লৈ ব্যক্তিগত ৰাজনৈতিক উচ্চাকাংক্ষা পূৰণ কৰিবলৈ আগবঢ়া সকলো নিৰ্দলীয় প্ৰাৰ্থীকে পৰাজিত কৰক; সকলো অসাধু, স্বাৰ্থপৰ আৰু দুৰ্নীতি-পৰায়ণ প্ৰাৰ্থীকে জীৱনত পাহৰিব নোৱৰাকৈ শিক্ষা দিয়ক; সৰ্বোপৰি, প্ৰত্যেকটো ভোটকেই নীলামত বিকিব লগীয়া বস্তুৰ দৰে ব্যৱহাৰ নকৰি অচলায়তন সমাজ-ব্যৱস্থা আৰু শোষণৰ দৈত্যাকাৰ যন্ত্ৰটোৰ বিৰুদ্ধে ব্যৱহাৰ কৰক একো একোটা অব্যৰ্থ গুলীৰ দৰে। আপোনাৰ ভাগ্য আপোনাৰ হাতত্তেই।

পৃথিৱীখন সলনি কৰি দিয়া সপ্তাহটো

"Let us suppose him to be living to-day, and that he came to court at the capital as an emissary of his country. Your Majesty would receive him courteously. But only one interview in the audience-chamber, one banquet in his honour, one gift of clothing, and he would be escorted under guard to the border. Lest he mislead the masses."

– **Han-yu :** 819 A.C.

মিঃ নিক্সনে চীন-ভ্ৰমণ সমাপ্ত কৰি সদম্ভে ঘোষণা কৰিছিল যে তেওঁ চীন দেশত কটোৱা এটা সপ্তাহে পৃথিৱীখনক সলনি কৰি দিলে। পৃথিৱীখন কিমান সলনি হ'ল তাৰ সম্পূৰ্ণ ৰূপ ফুটি উঠিবলৈ এতিয়াও বাকী আছে। কিন্তু আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীনৰ ৰূপ যে বহুতখিনি সলনি হ'ল সেই বিষয়ে কোনো সন্দেহ নাই। একালত বিশাল চীন সাম্ৰাজ্যৰ প্ৰাদেশিক শাসন-কৰ্তাসকলে মাজে সময়ে উপঢৌকনসহ সৰ্বশক্তিমান চীনা সম্ৰাটৰ ওচৰলৈ আহি নিজৰ আনুগত্য ঘোষণা কৰিছিল। আজি আধুনিক বিশ্বৰ আটাইতকৈ ধনী আৰু শক্তিশালী দেশখনৰ ৰাষ্ট্ৰ-প্ৰধানে চীনৰ সৰ্বশক্তিমান নেতাৰ ওচৰলৈ আহি তেওঁৰ বন্ধুত্ব প্ৰাৰ্থনা কৰিছে। এই ঘটনাই চীনৰ জাতীয় গৌৰৱবোধক প্ৰচণ্ডভাৱে উদ্দীপ্ত কৰিছে আৰু সেই দেশক বিশ্ব-সভাত নতুন মৰ্য্যাদাৰ আসনত প্ৰতিষ্ঠিত কৰিছে। সন্দেহ নাই যে চীনৰ কাৰণে ই এটা ডাঙৰ জয়-লাভ। কিন্তু এই জয়-লাভৰ কাৰণে চীনে কিছু মূল্য নিদিয়াকৈয়ো থকা নাই। যোৱা কুৰি বছৰ ধৰি চীনে আমেৰিকা যুক্তৰাষ্ট্ৰক 'সাম্ৰাজ্যবাদৰ প্ৰহৰী কুকুৰ' আৰু 'কাগজৰ বাঘ' বুলি গালি পাৰি আহিছিল। চীনৰ চকুত আমেৰিকা যুক্তৰাষ্ট্ৰ আছিল মানৱ-সমাজৰ সমাজবাদী বিকাশৰ পথত আটাইতকৈ ডাঙৰ প্ৰতিবন্ধক — সকলো অশুভ, অসৎ আৰু অমঙ্গলৰ প্ৰতীক। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামাজিক আৰু অৰ্থনৈতিক চৰিত্ৰ যোৱা কুৰি বছৰে যি আছিল এতিয়াও সি একেই আছে; তথাপি সেই ৰাষ্ট্ৰৰ লগত শান্তিপূৰ্ণ সহাৱস্থান কৰিবলৈ নিজৰ বিবেকে চীন দেশক বাধা দিয়া নাই। মুঠতে চীনে বিপ্লৱোত্তৰ দশকৰ আদৰ্শ আৰু ভাবোন্মাদনা পৰিহাৰ কৰি বাস্তৱ-বুদ্ধি-সম্পন্ন গৃহস্থৰ দৰে এতিয়া নিজৰ ঘৰখন ঠান-ঠিত লগোৱাৰ কামত মনোনিবেশ কৰিছে। পুঁজিবাদৰ বিৰুদ্ধে অন্তহীন সংগ্ৰাম, কমিউনিজমৰ আন্তৰ্জাতিকতাৰ আদৰ্শ, অন্য দেশলৈ বিপ্লৱ ৰপ্তানি কৰাৰ সঙ্কল্প — আমেৰিকাৰ লগত সহাৱস্থানৰ চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে এই সকলোবোৰ কথা পুৰণি অলাগতীয়াল বস্তুৰ গুদামত তলা বন্ধ কৰি পেলোৱা হ'ল। আন্তৰ্জাতিক ৰাজনীতি আৰু সম্পৰ্কৰ ক্ষেত্ৰত যে ইয়াৰ প্ৰতিক্ৰিয়া সুদূৰ-প্ৰসাৰী হ'ব — সেই বিষয়ে কোনো সন্দেহ নাই। সেই ফালৰপৰা চাবলৈ গ'লে নিক্সনৰ চীন ভ্ৰমণে পৃথিৱীখন নিশ্চয় কিছু সলনি কৰি দিলে।

সুদীৰ্ঘ কুৰি বছৰৰ তিক্ততম শত্ৰুতা আৰু অমীমাংসিত স্নায়ু-যুদ্ধৰ অন্তত চীন আৰু আমেৰিকাই হঠাৎ কিয় বন্ধুত্ব স্থাপনৰ কাৰণে উদ্‌গ্ৰীৱ হৈ উঠিল— সেই বিষয়ে নানা অভিমত শুনা গৈছে। চীনৰ পক্ষৰপৰা প্ৰধান কাৰণ হ'ল দুটা : ৰাছিয়াৰ প্ৰতি ভয় আৰু চীনৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিবৰ কাৰণে আমেৰিকাৰ সাহায্যৰ প্ৰয়োজনীয়তা। কমিউনিষ্ট চীনৰ পক্ষে কমিউনিষ্ট ৰাছিয়াতকৈ পুঁজিবাদী

আমেৰিকাৰ লগতেই বন্ধুত্বপূৰ্ণ সহাৱস্থান বেছি সহজ —কমিউনিজমৰ ইতিহাসৰ এই নিৰ্মম শিক্ষাই ঐতিহাসিক নিশ্চয়তাবাদত বিশ্বাস কৰা লোকসকলক কিছু চিন্তাৰ খোৰাক যোগাব বুলি আশা কৰা যায়। আনহাতে ১৯৬৫ চনতেই মাও চে টুঙে এটা সাক্ষাৎ-প্ৰসঙ্গত আঁদ্ৰে মাল্ৰোক কৈছিল যে পৃথিবীৰ আটাইতকৈ ধনী দেশ অৰ্থাৎ আমেৰিকা যুক্তৰাষ্ট্ৰই আটাইতকৈ দুখীয়া দেশ অৰ্থাৎ চীনক সহায় কৰিবলৈ আগবাঢ়ি নাহিলে চীনৰ জনসাধাৰণৰ জীৱন-নিৰ্বাহৰ মান উন্নত কৰা সম্ভৱ নহয়। তাৰ অৰ্থ এয়েই যে চীনে কেইবা বছৰৰ আগৰপৰাই আমেৰিকাৰ উন্নত প্ৰযুক্তি-বিদ্যা আৰু অৰ্থনৈতিক সাহায্যৰ প্ৰতি লোভৰ চকুৰে চাই আছিল। দেখা গৈছে পুঁজিবাদ অস্পৃশ্য হ'লেও পুঁজিবাদী ৰাষ্ট্ৰৰ ধন-সোণ আৰু যন্ত্ৰ-পাতি সিমান অস্পৃশ্য নহয়।

চীনৰ প্ৰতি আমেৰিকা হঠাৎ নৰম হৈ উঠাৰ মূল কাৰণ দুটা। এটাৰ লগত নিক্সনৰ ব্যক্তিগত ভাগ্য জড়িত। চীনৰ লগত মিত্ৰতা স্থাপনৰ দৰে অঘটন কিবা এটা ঘটাই দেখুৱাব পাৰিলে আসন্ন ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত তেওঁৰ জয়-লাভৰ পথ অধিক সুগম হ'ব পাৰে। দ্বিতীয় কাৰণটো হ'ল ৭৫ কোটি মানুহৰ বাস-ভূমি চীন দেশৰ বিশাল বজাৰখনৰ প্ৰতি আমেৰিকাৰ শিল্প-পতি আৰু ব্যৱসায়ীসকলৰ লুব্ধ দৃষ্টি। এই দুয়োটা উদ্দেশ্যাই হয়তো সিদ্ধ হ'ব। কিন্তু তাকে কৰিবলৈ গৈ আমেৰিকাই দ্বিতীয় মহাযুদ্ধৰ পিচৰপৰাই অনুসৰণ কৰি অহা বহুতো নীতি আৰু ভূমিকাৰ ওলট্-পালট কৰিব লগা হৈছে। চীনৰ লগত মিত্ৰতা স্থাপনৰ মাজেদি তিনিটা বিশেষ ক্ষেত্ৰত আমেৰিকাই নিজৰ পৰাজয় স্বীকাৰ কৰি লৈছে। দ্বিতীয় মহাযুদ্ধৰ পিচৰপৰাই আমেৰিকাৰ উচটনি আৰু সক্ৰিয় সহযোগত এচিয়াত 'চিয়েটো', 'চেণ্টো' আদিৰ দৰে যিবোৰ সামৰিক চুক্তি ৰচিত হৈছিল— সেইবোৰৰ উদ্দেশ্য আছিল কমিউনিজমৰ প্ৰসাৰক বিশেষকৈ চীনৰ ক্ৰমবৰ্দ্ধমান প্ৰভাব-বৃদ্ধিক বাধাদান দিয়া। আজি সেই চুক্তিবোৰ অকামিলা আৰু অদৰ্কাৰী হৈ গ'ল। দ্বিতীয়তে, ইণ্ডো-চাইনাত আমেৰিকাই চৰম পৰাজয় বৰণ কৰি নিজৰ লক্ষ্য-পথৰপৰা পিচ-হুহকি আহিবলৈ বাধ্য হ'ল। তৃতীয়তে টাইৱানক চীনৰ অংশ বুলি স্বীকাৰ কৰিবলৈকো আমেৰিকা অৱশেষত বাধ্য হ'ল। এই কৰুণ অভিজ্ঞতাৰপৰা আমেৰিকাই উপযুক্ত শিক্ষা আহৰণ কৰিলে বিশ্ব-শান্তিৰ পথ নিশ্চয় আগতকৈ কিছু সুগম হ'ব।

কিন্তু বিশ্বত শান্তি স্থাপনেই আমেৰিকা আৰু চীনৰ লক্ষ্য বুলি ভাবিবলৈ এতিয়াও কোনো কাৰণ ঘটা নাই। চৌ-নিক্সন যুটীয়া ইস্তাহাৰত কাশ্মীৰৰ কথা উল্লেখ কৰি এহাতে যেনেকৈ দুয়োখন দেশে ভাৰতৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰিবলৈ প্ৰয়াস কৰিছে, আনহাতে চীনে এটা সুকীয়া টোকাত পাকিস্তানৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন ঘোষণা কৰি নিজৰ সঙ্কীৰ্ণ জাতীয় স্বাৰ্থৰ কাৰণে এচিয়াত সংঘৰ্ষ আৰু উত্তেজনা জীয়াই ৰাখিবলৈ চেষ্টা কৰিছে। চীন আৰু আমেৰিকাই ভাৰতৰ বিৰুদ্ধে নতুন নতুন ষড়যন্ত্ৰত লিপ্ত হৈ পৰাৰ সম্ভাৱনাই দেখা দিছে। চলিত দশকত ভাৰতবৰ্ষই সম্পূৰ্ণ ৰাজনৈতিক সুস্থিৰতা ৰজাই ৰাখি অৰ্থনৈতিক স্বাৱলম্বিতা আৰু সমৃদ্ধিৰ পথত অতি দ্ৰুত গতিৰে আগুৱাই যাব পাৰিলেহে এই ষড়যন্ত্ৰ ব্যৰ্থ কৰি দিবলৈ সক্ষম হ'ব।

চীনে আজি নিজৰ দুৱাৰ-খিৰিকী বাহিৰৰ জগতৰ কাৰণে মুকলি কৰি দিয়াটো অতি সুখৰ কথা হৈছে। কেৱল সমাজ-ব্যৱস্থা নহয়, আনকি মানুহৰ ব্যক্তিত্বৰো আমূল পৰিবৰ্তন ঘটাবলৈ যোৱা কুৰি বছৰ ধৰি চীনত যি অভিনৱ পৰীক্ষা কৰা হৈছে — মানৱ-সভ্যতাৰ ইতিহাসত তাৰ কোনো তুলনা নাই। আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰতো যদি চীনে উগ্ৰ জাতীয়তাবাদৰ প্ৰভাৱ-মুক্ত এটা নতুন উদাৰ নীতি গ্ৰহণ কৰে, তেন্তে বিশ্বৰ ৰাজনীতিত এটা নতুন যুগৰ সূচনা হ'ব পাৰে।

ভয়ঙ্কৰ প্ৰত্যাহ্বান

১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত ভাৰতৰ ভোটদাতাই কংগ্ৰেছক জীয়াই জীয়াই সমাধিস্থ কৰিবলৈ উপক্ৰম কৰিছিল। কিন্তু ১৯৭২ চনৰ পঞ্চম সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে যি আশাতীত জয়লাভ কৰিলে— সি ১৯৫৭ চনৰ কংগ্ৰেছৰ বিৰাট কৃতকাৰ্য্যতাকো চেৰ পেলাই গ'ল। যোৱা কেইবছৰমানত ভাৰতৰ প্ৰায় আটাইকেইটা প্ৰধান ৰাজনৈতিক দলেই দুটা বা ততোধিক ভাগত বিভক্ত হৈ পৰিছে আৰু প্ৰত্যেকটো বিভাজনেই প্ৰত্যেকটো দলকেই আগতকৈ দুৰ্বল কৰি তুলিছে। একমাত্ৰ ব্যতিক্ৰম হ'ল কংগ্ৰেছ। আজি এই দলৰ আশাতীত জনপ্ৰিয়তা আৰু সাফল্যৰ মূলতেই হ'ল ১৯৬৯ চনত এই দলৰ মাজত হোৱা ঐতিহাসিক বিভাজন। ভাঙনৰ মাজেদি নতুন জন্ম লাভ কৰি কংগ্ৰেছ যি ভাবে নতুন শক্তিৰে সঞ্জীৱিত হৈ উঠিছে, পৃথিৱীৰ আন কোনো ৰাজনৈতিক দলৰ ইতিহাসত তাৰ তুলনা পাবলৈ নাই।

ই এটা বিস্ময়কৰ পুনৰ্জন্ম। ১৯৭২ চনত ভাৰতে স্বাধীনতা লাভৰ ৰূপালী জয়ন্তী পালন কৰিব আৰু ঠিক এই বছৰতে কংগ্ৰেছে প্ৰায় ধ্বংসস্তূপৰপৰা নৱ-জন্ম লাভ কৰি এক নতুন যাত্ৰা-পথত ভৰি দিলে।

পঞ্চম সাধাৰণ নিৰ্বাচনত কংগ্ৰেছৰ আশাতীত জয়লাভ অতি তাৎপৰ্য্যপূৰ্ণ আৰু নানা প্ৰকাৰে শিক্ষাপ্ৰদ এই নিৰ্বাচনে স্বতন্ত্ৰ আৰু সাংগঠনিক কংগ্ৰেছ দলক কবৰ দি ভাৰতৰ ৰাজনীতিৰপৰা চৰম সোঁ-পন্থী শক্তিক প্ৰায় নিশ্চিহ্ন কৰিছে; জন-সংঘ আৰু আকালি দলৰ শক্তিশালী দুৰ্গ-স্বৰূপ ৰাজ্যকেইখনত এই দল দুটাক ক্ষত-বিক্ষত কৰি সাম্প্ৰদায়িকতাবাদৰ প্ৰত্যাহ্বানক মষিমূৰ কৰিছে; অন্ধ্ৰ প্ৰদেশত তেলেঙ্গানা প্ৰজা সমিতিক আৰু মহাৰাষ্ট্ৰত মহাবিদৰ্ভ সমিতিক বিধ্বস্ত কৰি আঞ্চলিকতাবাদৰ ওপৰত প্ৰচণ্ড আঘাত হানিছে; বহুধা-বিভক্ত বাওঁপন্থী দলকেইটাক নিৰ্মমভাবে পৰাজিত কৰি এই দলবোৰৰ আত্ম-দ্বন্দ্ব আৰু সাংগঠনিক দুৰ্বলতাৰ স্বৰূপ উন্মোচিত কৰি দিছে। নিৰ্বাচনৰ ফলাফলে এই কথাও প্ৰমাণ কৰিছে যে ভাৰতীয় ভোট-দাতাসকলৰ স্বাধীন বিচাৰ-বুদ্ধি, ৰাজনৈতিক চেতনা আৰু স্বাতন্ত্ৰ্য আগতকৈ যথেষ্ট বাঢ়িছে। ইয়াৰ আগৰবোৰ নিৰ্বাচনত সমাজৰ ধনী মাতব্বৰ লোকসকলে অজ্ঞ, অসহায় আৰু দৰিদ্ৰ লোকসকলক নানা প্ৰকাৰৰ প্ৰলোভন আৰু ভীতি-প্ৰদৰ্শনেৰে নিজৰ হাতৰ মুঠিত ৰাখি একোটা ভোট-বেঙ্ক তৈয়াৰ কৰিছিল আৰু সেই ভোট-বেঙ্কৰ সহায়েৰেই নিজৰ সামন্তবাদী আধিপত্য অক্ষুণ্ণ ৰাখিছিল। এতিয়াও এই অৱস্থাৰ সম্পূৰ্ণ অৱসান হৈছে বুলি দাবী কৰিব নোৱাৰি। কিন্তু কিছু পৰিবৰ্তনৰ সূচনা যে হৈছে সেই বিষয়ে কোনো সন্দেহ নাই।

পঞ্চম সাধাৰণ নিৰ্বাচনৰ পিচত অসমত কংগ্ৰেছ দলেই যে পুনৰ ক্ষমতাত অধিষ্ঠিত হ'ব সেই বিষয়ে কোনো সন্দেহ নাছিল। কিন্তু নিৰ্বাচনৰ আগে আগে এনে এটা ধাৰণা ব্যাপকভাবে সৃষ্টি কৰা হৈছিল যে কেইজনমান পুৰণি নেতাক ক্ষমতাচ্যুত কৰাৰ কাৰণেই এইবাৰ অসমৰ ৰাইজ বিক্ষুব্ধ হৈ পৰিছে আৰু তেওঁলোকে নিৰ্বাচনত কংগ্ৰেছৰ সংখ্যা-গৰিষ্ঠতা হ্ৰাস কৰি তেওঁলোকৰ প্ৰিয় নেতাকেইজনৰ এই অপমানৰ প্ৰতিশোধ লব। এনে এটা ধাৰণা প্ৰচাৰ কৰিবলৈ গৈ স্বাৰ্থজড়িত মহলে দলৰ কাৰ্য্যসূচীতকৈ ব্যক্তি-বিশেষৰ প্ৰতি বেছি অনুৰাগ দেখুৱাইছিল; পৰিস্থিতিৰ বাস্তৱবাদী বিচাৰ-বিশ্লেষণতকৈ Wishful thinking বা নিজৰ

ইচ্ছা-পূৰণৰ কামনাক বেছি প্ৰাধান্য দিছিল। কিন্তু অসমৰ জনসাধাৰণে এনেবোৰ উচটনি আৰু অপ-প্ৰচাৰত বিভ্ৰান্ত নহৈ নিজৰ স্বাধীন বিচাৰ-বুদ্ধি আৰু বাস্তববাদিতাৰ পৰিচয় দিলে। এইখিনিতে এটা কথা বিশেষভাৱে উল্লেখ কৰা দৰকাৰ যে ভাৰতৰ যি কেইখন ৰাজ্যতেই (ৰাজস্থান, মধ্য-প্ৰদেশ আৰু অসম) নিৰ্বাচনৰ আগে আগে কংগ্ৰেছী চৰকাৰ আৰু দলৰ নেতৃত্ব সলনি কৰা হৈছিল, সেই তিনিওখন ৰাজ্যতে কংগ্ৰেছে আগতকৈ অধিক জন-সমৰ্থন লাভ কৰিছে। দ্বিতীয়তে এম-এল-এৰ গাদীখন কাৰো বাপতি-সাহোন নহয় বুলি প্ৰমাণ কৰিবলৈ যিমান নতুন আৰু ডেকা মানুহক মনোনয়ন দিয়া হৈছিল, সেই প্ৰায় আটাইবোৰ প্ৰাৰ্থীয়েই জয়লাভ কৰিছে। বিশেষকৈ অসমত 'বিদ্ৰোহী কংগ্ৰেছী' প্ৰাৰ্থীসকলৰ কৰুণ পৰাজয়ে এম-এল-এৰ পদবীক অবলম্বন কৰি 'চিৰস্থায়ী ৰাইজৰ সেৱক' হ'ব খোজা লোকসকলৰ মোহ-ভঙ্গ ঘটাব বুলি আশা কৰিব পাৰি। সাধাৰণ অৱস্থাত কংগ্ৰেছৰ এই জয়লাভত বিশেষভাৱে উল্লসিত হ'বৰ কোনো কাৰণ নঘটিলেহেঁতেন। কিন্তু এইবাৰ যি মানসিক বাতাবৰণত নিৰ্বাচন অনুষ্ঠিত হ'ল — তালৈ চাই এই কথা স্বীকাৰ কৰিবই লাগিব যে অসমত কংগ্ৰেছৰ এইবাৰৰ জয়লাভ ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীলতাৰ বিৰুদ্ধে পৰিবৰ্তনকামী প্ৰগতিবাদী শক্তিৰেই এটা তাৎপৰ্য্যপূৰ্ণ জয়লাভ। অৱশ্যে বিৰোধী পক্ষৰ কেইজনমান অতি আশাশুধীয়া আৰু সক্ৰিয় সদস্যৰ পৰাজয় অতি দুৰ্ভাগ্যজনক। বিধান সভাত শক্তিশালী বিৰোধী পক্ষৰ অভাৱৰ ক্ষতিপূৰণ কৰিবলৈ ৰাইজে বিকল্প উপায় চিন্তা কৰি উলিয়াব লাগিব। কিছুদিনৰ আগতে নতুন দিল্লীত অনুষ্ঠিত এখন সাংবাদিক সন্মিলনত শ্ৰী এম চি চাগ্‌লাই কৈছিল যে ভাৰতত বিৰোধী দলবোৰ দিনে দিনে নিশকতীয়া হৈ আহিছে আৰু এই অভাৱ পূৰণ কৰিবলৈ বাতৰি-কাকতেই বে-চৰকাৰী বিৰোধী পক্ষৰ ভূমিকা লবলৈ আগবাঢ়ি আহিব লাগিব। অসমত 'সাপ্তাহিক নীলাচলে' এই ভূমিকা লবলৈ সাজু হৈছে। আমি আশা কৰোঁ যে এই কামত আমি অসমৰ সদৌ ৰাইজৰ সক্ৰিয় সহায়-সহযোগিতা লাভ কৰিম।

কংগ্ৰেছে জয়লাভ কৰিলে হয়, কিন্তু ই তেওঁলোকৰ কাৰণে বিজয়-গৰ্বত আত্মহাৰা হোৱাৰ সময় নহয়। বৰং এই জয়লাভে তেওঁলোকৰ অন্তৰত ভয়ৰ কঁপনি তোলা উচিত। নিৰ্বাচন-যুদ্ধত কংগ্ৰেছৰ এইবাৰৰ জয়লাভ ক্ষমতাৰ ৰাজ-প্ৰাসাদলৈ প্ৰৱেশ-পত্ৰ নিশ্চয় নহয়, ই তেওঁলোকৰ কাৰণে এক ভয়ঙ্কৰ প্ৰত্যাহ্বান। যি সহিষ্ণু, ধৈৰ্য্যশীল আৰু অদৃষ্টবাদী ভাৰতীয় জনতাই বহু শতাব্দী ধৰি চৰম দাৰিদ্ৰ্য আৰু শোষণৰ অভিশাপ নীৰৱে সহ্য কৰি আহিছিল আৰু যোৱা পঁচিশ বছৰে কংগ্ৰেছৰ বিশ্বাস-ভঙ্গৰ অপৰাধকো ক্ষমা কৰিছিল, সেই শ্ৰেণীৰ জনতা এতিয়া লাহে লাহে নোহোৱা হৈ আহিছে। বৰ্তমান পুৰুষৰ ভাৰতীয়সকল কেৱল শ্লোগান আৰু প্ৰতিশ্ৰুতিত ভোল যাবলৈ সাজু নহয়; অনিৰ্দিষ্ট কালৰ কাৰণে অপেক্ষা কৰিবলৈকো তেওঁলোক ৰাজী নহয়। কংগ্ৰেছে যিবোৰ প্ৰতিশ্ৰুতি দি বিপুল জন-সমৰ্থন লাভ কৰিছে— সেইবোৰ প্ৰতিশ্ৰুতি অহা ৫ বছৰৰ ভিতৰতে আখৰে আখৰে পালন কৰিবই লাগিব। কংগ্ৰেছে এইবাৰ বিশ্বাস-ঘাতকতা কৰিলে জনতাৰ ক্ৰোধ হৈ উঠিব ক্ষমাহীন।

নতুন মন্ত্ৰীসভা গঠন

নতুন চৰকাৰৰ পৰা আমি কি কি কাম দাবী কৰো সেই সম্পৰ্কে যথাসময়ত ধাৰাবাহিকভাৱে আলোচনা কৰা হ'ব। সম্প্ৰতি কংগ্ৰেছ দলৰ সন্মুখত প্ৰথম বিষয় হৈছে নতুন মন্ত্ৰীসভা গঠন। আমাৰ মতে এই মন্ত্ৰীসভা,

গঠনৰ বিষয়টোৱে হ'ল সমাজবাদ আৰু প্ৰগতিবাদৰ তক্‌মা পিন্ধা কংগ্ৰেছ দলৰ কাৰণে প্ৰথম অগ্নি-পৰীক্ষা। যিয়েই লংকালৈ যায়, সিয়েই ৰাক্ষস হোৱাৰ দৰে অসমৰ নতুন কংগ্ৰেছেও ক্ষমতা হাতৰ মুঠিত পায়েই মন্ত্ৰীসভা গঠনত চিৰাচৰিত পন্থা অনুসৰণ কৰেনে? নতুন সুস্থ দৃষ্টিভংগীৰ পৰিচয় দিয়ে সেইটো চাবলৈ আমি অধিৰ আগ্ৰহেৰে অপেক্ষা কৰি আছো। কংগ্ৰেছৰ নতুন নেতৃত্বই যদি অসমৰ প্ৰশাসনিক আৰু ৰাজনৈতিক ইতিহাসত এটা নতুন অধ্যায়ৰ সূচনা কৰিব খোজে, তেন্তে আমাৰ পৰামৰ্শ এয়েই যে অসমৰ নতুন মন্ত্ৰীসভাখন (১) আকাৰত সৰু হ'ব লাগিব (মন্ত্ৰী, ৰাজ্যমন্ত্ৰী আৰু উপ-মন্ত্ৰীকে ধৰি মন্ত্ৰীৰ সৰ্বমুঠ সংখ্যা ওঠৰৰ বেচি হ'ব নালাগিব), (২) আঞ্চলিক আৰু সাম্প্ৰদায়িক ভিত্তিত মন্ত্ৰী নিয়োগ নকৰি কেৱল যোগ্যতাৰ মাপকাঠিৰেহে মন্ত্ৰী নিয়োগ কৰিব লাগিব, (৩) দুৰ্নীতিৰ বিন্দুমাত্ৰ চেকা থকা বা অভিযোগ থকা কোনো মানুহকেই মন্ত্ৰী হিচাবে নিয়োগ কৰিব নালাগিব, (৪) নিযুক্ত হোৱা প্ৰত্যেকজন মন্ত্ৰীয়েই নিজৰ সম্পত্তিৰ পৰিমাণ প্ৰকাশ্যভাৱে ঘোষণা কৰিব লাগিব।

'যি মূলা বাঢ়িব তাৰ দুপাততেই চিন' হোৱাৰ দৰে অসমৰ নতুন চৰকাৰে অহা পাঁচ বছৰৰ কাৰণে কেনেভাৱে কামত আগবাঢ়িব খোজে তাৰ পূৰ্বাভাস আমি মন্ত্ৰীসভা গঠনৰ মাজতেই পামহঁক।

সাপ্তাহিক নীলাচল, ১৭৪ সংখ্যা ঃ ২২ মার্চ, ১৯৭২

বিধান সভাৰ সদস্যসকললৈ এখন মুকলি চিঠি

মাননীয় এম-এল-এ সকল,

পঞ্চম সাধাৰণ নিৰ্বাচনৰ পিচত অসমৰ নব-গঠিত বিধানসভাৰ প্ৰথম অধিবেশন আজি অৰ্থাৎ ২২ মাৰ্চৰ পৰা আৰম্ভ হ'ব, আৰু আপোনালোকে যথা-বিধি শপত গ্ৰহণ কৰি আনুষ্ঠানিকভাৱে এম-এল-এৰ কাৰ্য্য-কাল আৰম্ভ কৰিব। আপোনালোকৰ জীৱনৰ এই স্মৰণীয় দিনটোত আমি আপোনালোকৰ প্ৰতি আমাৰ আন্তৰিক শুভ-ইচ্ছা আগবঢ়ালোঁ।

হৈ যোৱা সাধাৰণ নিৰ্বাচনত বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থী থিয় কৰাইছিল। আমাৰ কাকত 'সাপ্তাহিক নীলাচলে' কংগ্ৰেছ দলৰ প্ৰতি মুকলি সমৰ্থন আগবঢ়াইছিল। গতিকে বিধানসভাৰ কংগ্ৰেছী সদস্যসকলৰ হৈ আমাৰো ৰাইজৰ ওচৰত এটা নৈতিক দায়িত্ব আছে। নিৰ্বাচনত অসমৰ জনসাধাৰণে কংগ্ৰেছী প্ৰাৰ্থীসকলৰ প্ৰতি অভূতপূৰ্ব আৰু অভাৱনীয় সমৰ্থন আগবঢ়াইছে। জনতাৰ হৃদয়ত আপোনালোকে যি নতুন প্ৰত্যাশা জগাই তুলিছে সেই প্ৰত্যাশা যদি অহা পাঁচ বছৰৰ ভিতৰত আপোনালোকে পূৰণ নকৰে, তেন্তে জনতাই আপোনালোকৰ লগতে 'সাপ্তাহিক নীলাচল'কো দোষী সাব্যস্ত কৰিব। সেই কাৰণে এই মুকলি চিঠিখন মই ঘাইকৈ কংগ্ৰেছী এম-এল-এ সকলক উদ্দেশ্য কৰিয়েই লিখিছোঁ।

অসমত যোৱা চৌবিশ বছৰ ধৰি নিৰৱচ্ছিন্নভাৱে কংগ্ৰেছী শাসন চলি আছে। কংগ্ৰেছী শাসনৰ এই চৌবিশ বছৰীয়া ইতিহাস কিন্তু গৌৰৱ আৰু কৃতকাৰ্য্যতাৰ ইতিহাস নহয়। একে আষাৰে ক'বলৈ গ'লে ই বহুক্ষেত্ৰত এক অক্ষমনীয় বিশ্বাস-ভঙ্গ আৰু প্ৰতাৰণাৰ ইতিহাস। কংগ্ৰেছে অসম তথা ভাৰতৰ জনতাক সুদীৰ্ঘ কাল ধৰি কি কি প্ৰতিশ্ৰুতি দিছিল আৰু এফালৰপৰা কেনেকৈ সেই প্ৰতিশ্ৰুতিবোৰ ভঙ্গ কৰি আহিছে সেই কথা আপোনালোকক আজি এবাৰ চমুকৈ সোঁৱৰাই দিয়াৰ দৰকাৰ হৈছে বুলি মই ভাবোঁ।

কংগ্ৰেছ বুলিলে ভাৰতৰ জনতাই যিটো অনুষ্ঠানক বুজি পায় সি হৈছে মহাত্মা গান্ধীয়ে সৃষ্টি কৰি যোৱা অনুষ্ঠান। আজি পৰ্য্যন্ত আপোনালোকে গান্ধীজীৰ নাম ভাঙিয়েই খাই আছে। কংগ্ৰেছৰ মূল লক্ষ্যৰ কথা ঘোষণা কৰি গান্ধীজীয়ে ১৯৩১ চনত লণ্ডনত বহা ঘূৰণীয়া মেজ মেলত কৈছিল ঃ 'কংগ্ৰেছ অনুষ্ঠানটো হ'ল মূলতে ভাৰতৰ ৭ লাখ গাঁৱত সিঁচৰতি হৈ থকা কোটি কোটি অৰ্ধ-ভুক্ত মূক জনতাৰ প্ৰতিনিধি। কংগ্ৰেছে যাৰেই স্বাৰ্থৰক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰক কিয় — সেই সকলোবোৰ স্বাৰ্থতকৈ এই কোটি কোটি মূক জনতাৰ স্বাৰ্থই আগ ঠাই পাব লাগিব। এইবোৰ বিভিন্ন স্বাৰ্থৰ মাজত যদি কেতিয়াবা প্ৰকৃততে সংঘাতৰ সৃষ্টি হয়, তেন্তে কংগ্ৰেছৰ পক্ষৰ পৰা মই দ্বিধাহীনভাৱে ঘোষণা কৰোঁ যে এই কোটি কোটি মূক জনতাৰ স্বাৰ্থত কংগ্ৰেছে আন সকলো স্বাৰ্থকেই বিসৰ্জন দিব।"

গান্ধীজীয়ে এই কথা কৈছিল ১৯৩১ চনতে। ১৯৪৭ চনত কংগ্ৰেছে দেশৰ শাসন ক্ষমতা লাভ কৰি আজি পৰ্য্যন্ত এদনীয়াভাৱে সেই শাসন চলাই আছে। কিন্তু এই চৌবিশ বছৰীয়া কংগ্ৰেছী শাসনত ভাৰতৰ কোটি কোটি মূক জনতাৰ আৰ্থিক অৱস্থাৰ কোনো উন্নতিতো হোৱা নায়েই বৰং সি দিনে দিনে অধিক

বেয়াৰ পথলৈ আগবাঢ়িছে। ধনী আৰু দুখীয়াৰ স্বাৰ্থৰ মাজত যেতিয়াই সংঘাতে দেখা দিছে, তেতিয়াই কংগ্ৰেছে ধনীৰ পক্ষ লৈছে। চৌবিশ বছৰৰ কংগ্ৰেছী শাসনৰ অন্ততো আজিও যে মাটিৰ সৰ্বোচ্চ সীমা নিৰূপণৰ আইনখন সম্পূৰ্ণভাৱে কাৰ্য্যকৰী কৰিব পৰা নহ'ল আৰু উদ্বৃত্ত মাটি মাটি-হীন খেতিয়কৰ মাজত ভগাই দিয়া নহ'ল — একমাত্ৰ এইটো উদাৰণেই কংগ্ৰেছৰ বিশ্বাস-ভঙ্গৰ প্ৰমাণ দিবৰ কাৰণে যথেষ্ট। ভাৰতত আৰ্থিক অসাম্য যে কংগ্ৰেছী শাসনত আগতকৈ যথেষ্ট বেছি হ'ল সেই কথা অখণ্ডনীয় তথ্য-পাতিৰে প্ৰমাণ কৰি বহুতো কিতাপ-পত্ৰ লিখা হৈছে। সেইবোৰ কিতাপ নিজে সংগ্ৰহ কৰি আপোনাসকলে পঢ়ি চাব।

১৯৩১ চনতেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ কৰাচী অধিবেশনত এটা প্ৰস্তাৱ লোৱা হৈছিল। সেই প্ৰস্তাৱত কোৱা হৈছিল যে ভাৰতত প্ৰত্যেকজন মানুহৰ উপাৰ্জনৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ কৰি দিয়া হ'ব আৰু ক্ৰমে ক্ৰমে এনে এটা অৱস্থাৰ সৃষ্টি কৰা হ'ব— য'ত আটাইতকৈ ধনী মানুহজনৰ উপাৰ্জন আটাইতকৈ দুখীয়া মানুহজনৰ উপাৰ্জনতকৈ কুৰি গুণৰ বেছি হ'ব নোৱাৰিব। দেশ স্বাধীন হোৱাৰ পিচতো 'পৰিকল্পনা আয়োগ' আৰু 'কৰ তদন্ত আয়োগ' আদি বিভিন্ন চৰকাৰী অনুষ্ঠানে এই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিব লাগে বুলি দোহাৰি আছে। কিন্তু আজি স্বাধীন ভাৰতবৰ্ষত কংগ্ৰেছী শাসনত আটাইতকৈ ধনী মানুহজনৰ দৈনিক উপাৰ্জন ৫ লাখ টকা আৰু আটাইতকৈ দুখীয়া মানুহজনৰ দৈনিক উপাৰ্জন মাত্ৰ উনৈশ পইচা।

স্বাধীন ভাৰতবৰ্ষৰ প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনা ৰচনা কৰিবৰ সময়ত পৰিকল্পনা আয়োগে ঘোষণা কৰিছিল— "সংবিধানৰ নিৰ্দেশাত্মক মূল-নীতিৰ উদ্দেশ্যৰ লগত সংগতি ৰাখি জনসাধাৰণৰ পুষ্টি আৰু জীৱন-ধাৰণৰ মান উন্নীত কৰাটো ৰাষ্ট্ৰৰ প্ৰাথমিক কৰ্তব্য। ৰাষ্ট্ৰৰ অৰ্থনৈতিক নীতিক এনেভাৱে গঢ় দিব লাগিব যাতে পুৰুষ-তিৰোতা নিৰ্বিশেষে প্ৰত্যেকজন নাগৰিকেই সমানভাৱে জীৱিকা-অৰ্জনৰ পৰ্য্যাপ্ত সুযোগ লাভ কৰে। আৰ্থিক ক্ষমতাৰ গণ্ডীৰ ভিতৰত ৰাষ্ট্ৰই এনেভাৱে চেষ্টা কৰিব লাগিব— যাতে প্ৰত্যেকজন নাগৰিকেই কাম কৰাৰ অধিকাৰ আৰু শিক্ষা লাভৰ অধিকাৰ লাভ কৰে আৰু যিসকল লোক নিবনুৱা, বৃদ্ধ, ৰুগ্ন আৰু পঙ্গু— তেওঁলোকে ৰাষ্ট্ৰৰ পৰা আৰ্থিক সাহায্য লাভ কৰে।... চমুকৈ ক'বলৈ হ'লে নিৰ্দেশাত্মক সূত্ৰাৱলীয়ে এনে এক আৰ্থিক আৰু সামাজিক ব্যৱস্থাৰ কল্পনা কৰিছে— য'ত সকলোৱেই সমান সুযোগ লাভ কৰিব, সামাজিক ন্যায় বিৰাজ কৰিব, প্ৰত্যেকেই কাম কৰাৰ আৰু যথেষ্ট পাৰিশ্ৰমিক পোৱাৰ অধিকাৰ লাভ কৰিব আৰু সকলো নাগৰিকৰ কাৰণে সামাজিক নিৰাপত্তাৰ ব্যৱস্থা কৰা হ'ব।"

এই কথাখিনি কোৱা হৈছিল ১৯৫১ চনত। আজি কুৰি বছৰৰ মূৰত ১৯৭২ চনত দেশৰ অৱস্থা কি হৈছে সেই কথা আপোনালোকে নিজেই চিন্তা কৰি চাওক। মই কেৱল এটা মাত্ৰ কথা আপোনালোকক মনত পেলাই দিওঁ। প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ অন্তত ভাৰতত নিবনুৱাৰ সংখ্যা আছিল ৫০ লাখ। দ্বিতীয় পৰিকল্পনাৰ অন্তত ই হ'লগৈ ৯০ লাখ। তৃতীয় পৰিকল্পনাৰ অন্তত ১৩০ লাখ। অনুমান কৰা হৈছে যে চতুৰ্থ পৰিকল্পনাৰ অন্তত দেশত নিবনুৱাৰ সংখ্যা হ'বগৈ ২৮০ লাখ।

১৯২৮ চনত অৰ্থাৎ দেশে স্বাধীনতা পোৱাৰ ১৮ বছৰৰ আগতেই জৱাহৰলাল নেহৰুৱে উত্তৰ প্ৰদেশ কংগ্ৰেছ কমিটীৰ বছেৰেকীয়া অধিবেশনত বক্তৃতা দি কৈছিল : "এইটো কি ধৰণৰ স্বাধীনতা — যি স্বাধীনতাৰ পৰিণতি হ'ল কোটি কোটি মানুহৰ অনাহাৰ আৰু কোটি কোটি মানুহৰ শোষণ? দেশৰ স্বাধীনতাই মানুহক সকলো শোষণৰপৰা মুক্ত কৰিব লাগিব আৰু তাৰ কাৰণে শোষণকাৰীক সহায় কৰা সকলোবোৰ শক্তিকে আপোনাসকলে আক্ৰমণ কৰিব লাগিব।"

কিন্তু এই নেহৰুৱেই ১৫ বছৰতকৈ অধিক কাল অপ্ৰতিদ্বন্দ্বী ক্ষমতাৰ আসনত অধিষ্ঠিত থাকি নিজে

কি কৰিলে? আপোনাসকলৰ কোনো কোনোৱে ক'ব খোজে যে ভাৰতৰ নিচিনা এখন দেশত বহু শতাব্দীৰ পুঞ্জীভূত দাৰিদ্র্য দূৰ কৰিবলৈ কিছু সময় লাগিব। কিন্তু চীন দেশে কুৰি বছৰতকৈয়ো কম সময়ৰ ভিতৰতে সমাজৰপৰা দাৰিদ্র্যক সমূলি দূৰ কৰিছে। কিন্তু আমাৰ দেশত এমুঠি ভাগ্যবানৰ বাহিৰে আন সকলোৰে দাৰিদ্র্য আগতকৈ বৃদ্ধিহে পাইছে। নেহৰুৱে নিজেই ১৯৫৬ চনত কৈছিল ঃ "আমি এখোজ এখোজকৈ নিজৰ লক্ষ্য-স্থানত উপনীত হবলৈ এশ বছৰ অপেক্ষা কৰিব নোৱাৰোঁ। আমাৰ গতি আৰু কৰ্মোদ্যম অতি ক্ষীপ্ৰতৰ হ'ব লাগিব।" কিন্তু এই সকলোবোৰ বৰ বৰ কথা কেৱল মুখৰ কথা হৈয়েই থাকিল। যোৱা চৌবিশ বছৰে আমি যি গতিৰে আগবাঢ়িছোঁ সেই গতি অব্যাহত থাকিলে আৰু এশ বছৰ কিয় — এহাজাৰ বছৰতো ভাৰতৰপৰা দাৰিদ্র্য দূৰ নহ'ব।

মুঠতে কংগ্ৰেছে ভাৰতৰ জনতাক যিমানবোৰ প্ৰতিশ্ৰুতি দিছিল সেই সকলোবোৰ ভঙ্গ কৰিছে। তথাপিতো দেশবাসীয়ে পঞ্চম সাধাৰণ নিৰ্বাচনত বিপুল জন-সমৰ্থন দি কংগ্ৰেছকেই পুনৰ ক্ষমতাৰ আসনত বহুৱাইছে। তাৰ কাৰণ দুটা। প্ৰথমতে, ১৯৬৯ চনত কংগ্ৰেছে প্ৰতিক্ৰিয়াশীল লোকসকলক দলৰপৰা বহিষ্কাৰ কৰি দি প্ৰতিশ্ৰুতি পূৰণৰ কাৰণে নতুন অঙ্গীকাৰ কৰিছে আৰু দুই-এটা প্ৰতিশ্ৰুতি পূৰণ কৰি দেখুৱাইছে। দ্বিতীয়তে, কংগ্ৰেছৰ স্পষ্ট বিকল্প স্বৰূপে কোনো এটা ঐক্যবদ্ধ আৰু শক্তিশালী দল দেশত আজিলৈকে গঢ়ি নুঠিল। দেশক এটা ঐক্যবদ্ধ শক্তিশালী বিৰোধী দল থকা হ'লে আপোনাসকলে ইমান বিপুল সংখ্যাত বিধান সভালৈ আহিব নোৱাৰিলেহেঁতেন।

আজি বিধানসভাৰ সদস্য হিচাবে শপত গ্ৰহণ কৰিবৰ সময়ত আপোনাসকলে এই কথা মনত ৰাখিব যে দেশৰ জনসাধাৰণৰ মতি-গতি আজি সম্পূৰ্ণ সলনি হৈ পৰিছে; যোৱা চৌবিশ বছৰে তেওঁলোকক প্ৰতাৰণা কৰি থকাৰ দৰে এইবাৰো জনতাক প্ৰতাৰণা কৰি আপোনাসকলে সাৰি যাব নোৱাৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে ঘোষণা কৰিছে যে অহা তিনি বছৰৰ ভিতৰতে কংগ্ৰেছে দেশবাসীক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব লাগিব। কিন্তু কেৱল মুখৰ কথাৰে এই অসাধ্য সাধন নহ'ব। সমাজ-ব্যৱস্থাৰ বৈপ্লৱিক পৰিবৰ্তন ঘটাই আপোনাসকলে ৰাইজক দিয়া প্ৰতিশ্ৰুতিবোৰ ৰক্ষা কৰিবলৈ হ'লে নতুন এম-এল-এ-সকলৰ দৃষ্টি-ভঙ্গী আৰু কাৰ্য্যপদ্ধতিৰ আমূল পৰিবৰ্তন ঘটিব লাগিব। কিন্তু সঁচা কথা ক'বলৈ হ'লে এক শ্ৰেণীৰ এম-এল-এ-ৰ আৰম্ভণিটো আমি বৰ ভাল পোৱা নাই। ৰাইজে এইবাৰ বহুত আশা কৰি যথেষ্ট সংখ্যক ডেকা মানুহক বিধানসভালৈ পঠাইছে। আমি আশা কৰিছিলোঁ যে নিৰ্বাচনৰ ফলাফল ওলোৱাৰ লগে লগেই তেওঁলোকে নতুন বৈপ্লৱিক কাৰ্য্যসূচী তৈয়াৰ কৰা আৰু দলৰ ভিতৰতে প্ৰেছাৰ-গ্ৰুপ গঠন কৰা আদি কামত ব্যস্ত হৈ পৰিব। কিন্তু আমি দেখি আচৰিত হৈছোঁ যে যুৱক কংগ্ৰেছৰ এম-এল-এ সদস্যসকলে প্ৰথম যিটো কামত হাত দিলে, সেইটো হৈছে চাৰিটা মন্ত্ৰী-পদৰ কাৰণে দাবী উত্থাপন কৰা। কিয়, কেৱল মন্ত্ৰী হৈহে দেশ উদ্ধাৰ কৰিব পাৰি নেকি? ৯৫ জন কংগ্ৰেছী এম-এল-এ-ৰ প্ৰত্যেকজনকে মন্ত্ৰী পাতিলেহে দেশত উন্নতিৰ গতিবেগ অধিক ত্বৰান্বিত হ'ব নেকি? আমাৰ ওচৰৰে পশ্চিম বংগৰ যুৱক কংগ্ৰেছে মন্ত্ৰী পদ যাচি দিলেও প্ৰত্যাখ্যান কৰিম বুলি প্ৰস্তাৱ লৈছে, আৰু অসমৰ বিপ্লৱী যুৱক কংগ্ৰেছৰ লুব্ধ দৃষ্টি কেৱল মন্ত্ৰী-পদৰ ওপৰত। আমি আগতেই এনে এটা সন্দেহ কৰিছিলোঁ, এতিয়া আপোনালোকৰ কাৰ্য্যই আমাৰ সন্দেহ সঁচা বুলি প্ৰমাণ কৰিছে। ১৯৭১ চনৰ নবেম্বৰ মাহত শ্ৰীশৰৎ চন্দ্ৰ সিংহই কথা-প্ৰসঙ্গত মোক কৈছিল যে ক্ষমতাৰ প্ৰতি মোহ নথকা আৰু প্ৰকৃত বিপ্লৱী মনোভাবাপন্ন দহজন ডেকা এম-এল-এও যদি তেওঁ পায়, তেন্তে অসমৰ ৰাজনীতিক তেওঁ সলনি কৰি দিব পাৰিব। আজি সেই কথা তেওঁকো পুনৰ সোঁৱৰাই দিলোঁ।

অসমৰ ৰাইজে এইবাৰ কোনো এজন মানুহকেই মন্ত্ৰী হ'বলৈ পঠোৱা নাই, পঠাইছে সমাজ-ব্যৱস্থা সলনি কৰি দিব পৰা গণতান্ত্ৰিক বিপ্লৱত একো একোজন সৈনিক হ'বলৈ। আমাক মন্ত্ৰী নালাগে, লাগে চৰকাৰৰ কামৰ ওপৰত সদা-সতৰ্ক দৃষ্টি ৰাখিব পৰা আৰু চৰকাৰৰ শুদ্ধ পথত চলিবলৈ বাধ্য কৰিব পৰা সুদক্ষ আৰু চিন্তাশীল এম-এল-এ। মন্ত্ৰী হোৱাৰ লালসা পৰিত্যাগ কৰি যুৱক এম-এল-এ সকলে যদি বৰং নিজৰ ভিতৰতে এটা প্ৰেছাৰ-গ্ৰুপ গঠন কৰিবলৈ উদ্যোগী হয় আৰু সেই গ্ৰুপৰ দ্বাৰা চৰকাৰৰ ওপৰত অনবৰত হেঁচা দি থাকে, তেতিয়াহে তেওঁলোকে ৰাইজৰ আস্থা আৰু শুভেচ্ছা লাভ কৰিবলৈ সক্ষম হ'ব। আমি প্ৰতিজন এম-এল-এ-ৰ ওপৰত প্ৰতি মুহূৰ্ত্ততে চোকা দৃষ্টি ৰাখি আছোঁ। তেওঁলোকে ক'ত কি কথা কয়, কি কাম কৰে — আমি সকলো জানি আছোঁ। আমি আপোনাসকলক কেৱল ইমানকে কৈ থলোঁ যে আপোনালোকে নিজৰ প্ৰতিটো ভুল কাম আৰু প্ৰতিটো ভুল কথাৰ কাৰণেই ৰাইজৰ ওচৰত জবাবদিহি কৰিব লাগিব।

আপোনাসকলৰ সমুখত আজি এক ভীষণ প্ৰত্যাহ্বান। ৰাইজে আপোনাসকলক শেষবাৰলৈ এটা সুযোগ দিছে। এই সুযোগৰ সদ্ব্যৱহাৰ কৰি আপোনালোকে সমাজৰ আটাইতকৈ তল পৰি থকা দুৰ্ভগীয়া শ্ৰেণীৰ মানুহৰ — অসংগঠিত কৃষি-বনুৱা, মাটিহীন খেতিয়ক, দিন-মজুৰী কৰি খোৱা মানুহ, অক্ষম, কণা আৰু পঙ্গু লোকসকল, বস্তিবাসী হৰিজন আৰু সৰ্বহাৰাসকল —এইসকল লোকৰ চিৰ-অন্ধকাৰ জীৱনলৈ নতুন পোহৰ আনিবলৈ চেষ্টা কৰক। যোৱা চৌবিশ বছৰে এইসকল লোকৰ কথা ভবা নাই। এইবাৰো যদি আপোনালোকে নাভাবে, তেন্তে অহাবাৰ আপোনালোকে ভোট খুজিবলৈ আহিব নোৱাৰিব। শোষণৰ যি সৰ্ব-ব্যাপী চক্ৰান্তই এই দুৰ্ভগীয়া মানুহবোৰক বহু শতাব্দী ধৰি পিষ্ট কৰি ৰাখিছে, সেই চক্ৰান্ত আপোনালোকে এইবাৰ ভাঙি মষিমূৰ কৰিবই লাগিব। এই চক্ৰান্তৰ স্বৰূপটো বুজি পাবলৈ হ'লে আপোনাসকলে যথেষ্ট পঢ়া-শুনা কৰিব লাগিব, গাঁৱে গাঁৱে ঘূৰি তথ্য-পাতি সংগ্ৰহ কৰিব লাগিব, — মুঠতে আপোনাসকল প্ৰতিজনেই হ'ব লাগিব জনতাৰ অৰ্থনৈতিক স্বাধীনতা সংগ্ৰামৰ একোজন সৈনিক। আপোনাসকলৰ ভিতৰত যি কেইজন মন্ত্ৰী হ'ব — তেওঁলোকেও ক্ষমতাৰ মিছা দম্ভ আৰু ভোগ-বিলাস পৰিহাৰ কৰি সাধাৰণ জনতাৰ একোজন হৈ সাধাৰণ মানুহৰ দৰে সৰল আৰু অনাড়ম্বৰ জীৱন-যাপন কৰিব লাগিব। নিজৰ নৈতিক প্ৰভাৱ আৰু কঠোৰ শৃঙ্খলা প্ৰয়োগৰ দ্বাৰা আমোলাতন্ত্ৰৰপৰা সকলো দুৰ্নীতি দূৰ কৰি প্ৰশাসন যন্ত্ৰটোক আপোনাসকলে ৰাইজৰ ভৃত্য বা সেৱকত পৰিণত কৰিব লাগিব। আপোনাসকলৰ সমুখত কাম অজস্ৰ, কিন্তু সময় নিচেই তাকৰ। ৰাইজৰ চকুত ধূলি দিবৰ চেষ্টা নকৰি এইবাৰ আপোনাসকলে এক নতুন সঙ্কল্প আৰু নতুন ব্ৰত লৈ কামত আগবাঢ়ক — এয়েই আপোনাসকলৰ ওচৰত আমাৰ সনিৰ্বন্ধ অনুৰোধ। কংগ্ৰেছে এইবাৰো যদি বিশ্বাস-ঘাতকতা কৰে, তেন্তে তাৰ প্ৰতিক্ৰিয়া হ'ব ভীষণ, প্ৰতিশোধো হ'ব ভয়ঙ্কৰ। ইতি—

আপোনালোকৰ শুভাকাংক্ষী
শ্ৰীহোমেন বৰগোহাঞি

ভাৰত আৰু বাংলাদেশৰ মাজত মৈত্ৰী চুক্তি

ভাৰত আৰু বাংলাদেশৰ মাজত এটা পঁচিশ বছৰীয়া মৈত্ৰী, সহযোগিতা আৰু শান্তিৰ চুক্তি সম্পাদিত হোৱাৰ পিচত ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ বাংলাদেশ ভ্ৰমণৰ আঠচল্লিশ ঘণ্টীয়া কাৰ্য্যসূচীৰ শুভসমাপ্তি ঘটে।

যোৱা দেওবাৰে বাংলাদেশৰ হৈ প্ৰধানমন্ত্ৰী শ্বেখ মুজিবুৰ ৰহমানে আৰু ভাৰতৰ হৈ প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে স্বাক্ষৰ দানেৰে সম্পাদন কৰা এই চুক্তি অনুযায়ী দুয়োখন দেশৰ নিৰাপত্তা, সুস্থিৰতা আৰু আঞ্চলিক অখণ্ডতা ৰক্ষাৰ বাবে দুয়োখন দেশৰ দৃঢ়তা প্ৰকাশ কৰাৰ লগে লগে যি আদৰ্শৰ কাৰণে দুয়োখন দেশৰ জনসাধাৰণে সংগ্ৰাম আৰু ত্যাগ কৰি আহিছে, সেই আদৰ্শেৰে অনুপ্ৰাণিত হৈ দুয়োখন দেশ আৰু দেশৰ জনসাধাৰণৰ মাজত স্থায়ী শান্তি আৰু মৈত্ৰী অব্যাহত ৰাখিবলৈও দুয়ো দেশে দৃঢ়সঙ্কল্প প্ৰকাশ কৰে।

যোৱা বছৰৰ ঐতিহাসিক ৯ আগষ্টৰ দিনা ভাৰত আৰু চোভিয়েট ইউনিয়নৰ মাজত শান্তি, মৈত্ৰী আৰু সহযোগিতাৰ যি চুক্তি সম্পাদিত হৈছিল, বৰ্তমানৰ ভাৰত-বাংলাদেশ চুক্তিখনতো অনুৰূপ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। দুয়োখন চুক্তিয়েই শান্তি, মৈত্ৰী আৰু সহযোগিতাৰ চুক্তিহে, প্ৰতিৰক্ষাৰ চুক্তি নহয়; দুয়োখন চুক্তি নিৰ্দিষ্টভাবে কোনো জাতি বা শক্তিৰ বিৰুদ্ধে সম্পাদিত হোৱা নাই; দুয়োখন চুক্তিতে শান্তিপূৰ্ণ সহ-অৱস্থান আৰু পাৰস্পৰিক কল্যাণ আৰু সম্মানজনক সাহায্য-সহযোগিতাৰ মূলনীতি সাৰোগত কৰা হৈছে; দুয়োখন চুক্তিতে শান্তিপূৰ্ণভাবে আঞ্চলিক শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ লগতে বিশ্বশান্তি ৰক্ষাৰ আন্তৰিক আৰু নীতিগত প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব দিয়া হৈছে; দুয়োখন চুক্তিয়ে অৰ্থনৈতিক, কাৰিকৰী আৰু সাধাৰণ উন্নয়নী ব্যৱস্থাৰ বাবে উমৈহতীয়া দৃষ্টিভঙ্গী প্ৰকাশ কৰিছে আৰু আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰতো দুয়োখন চুক্তিত স্বাক্ষৰকাৰী পক্ষসমূহৰ দৃষ্টিভঙ্গীৰ মিল আছে। তদুপৰি ভাৰত-চোভিয়েট চুক্তি আৰু ভাৰত-বাংলাদেশ চুক্তি — এই দুইখন চুক্তি মুঠ বাৰটা দফাত সম্পূৰ্ণ কৰা হৈছে। দুয়োখন চুক্তিতে গোষ্ঠী-নিৰপেক্ষতাৰ নীতিৰ প্ৰতি সম্মান জনোৱাটো অন্যতম উল্লেখযোগ্য দিশ।

চুক্তিখন

ভাৰত-বাংলাদেশ চুক্তিখনৰ অনুচ্ছেদসমূহ হৈছে ঃ

(১) যি আদৰ্শৰ বাবে দুয়োদেশৰ জনসাধাৰণে সংগ্ৰাম কৰি আহিছে আৰু একেলগে ত্যাগ কৰি আহিছে, সেই আদৰ্শৰে অনুপ্ৰাণিত হৈ চুক্তিৰ স্বাক্ষৰকাৰী পক্ষ দুটাই একনিষ্ঠতাৰে ঘোষণা কৰে যে দুয়োখন দেশ আৰু দেশৰ জনসাধাৰণৰ মাজত স্থায়ী শান্তি আৰু মৈত্ৰী অব্যাহত থাকিব। এটা পক্ষই ইটো পক্ষৰ স্বাধীনতা, সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতাৰ প্ৰতি সম্মান জনাই যাব আৰু এপক্ষই ইপক্ষৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰপৰা বিৰত থাকিব।

ওপৰত উল্লেখ কৰা নীতি আৰু সমতা আৰু পাৰস্পৰিক কল্যাণৰ নীতিৰ ভিত্তিত দুয়ো পক্ষই তেওঁলোকৰ মাজত থকা মৈত্ৰী আৰু সজ প্ৰতিবেশী-সুলভ সম্পৰ্ক, সামগ্ৰিক সহযোগিতাৰ সম্পৰ্ক, উন্নততৰ আৰু অধিকতৰ শক্তিশালী কৰি যাব।

(২) জাতি আৰু আদৰ্শ নিৰ্বিশেষে সকলো জনসাধাৰণ আৰু ৰাষ্ট্ৰৰ সমতা স্বীকাৰ কৰি চুক্তি স্বাক্ষৰকাৰী পক্ষ দুটাই সকলো ধৰণৰ উপনিবেশবাদৰ আৰু বৰ্ণবাদৰ নিন্দা কৰে আৰু এইবোৰৰ চূড়ান্ত আৰু সম্পূৰ্ণ বিলুপ্তিৰ বাবে সংগ্ৰাম চলাই যোৱাৰ দৃঢ়সংকল্প পুনৰ ঘোষণা কৰে।

এই লক্ষ্যসমূহ সাধনৰ বাবে অন্যান্য ৰাষ্ট্ৰসমূহৰ সৈতে চুক্তিৰ স্বাক্ষৰকাৰী পক্ষ দুটাই সহযোগ কৰিব, আৰু উপনিবেশবাদ আৰু বৰ্ণবাদৰ বিৰুদ্ধে আৰু ৰাষ্ট্ৰীয় মুক্তিৰ বাবে কৰা সংগ্ৰামত জনসাধাৰণৰ ন্যায্য আশা-আকাংক্ষাৰ প্ৰতি সমৰ্থন জনাব।

(৩) বিশ্বব্যাপী উত্তেজনা হ্ৰাস কৰা, আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা অব্যাহত ৰখা আৰু ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব আৰু স্বাধীনতা শক্তিশালী কৰাৰ গুৰুত্বপূৰ্ণ আহিলা হিচাবে গোষ্ঠী নিৰপেক্ষতা আৰু শান্তিপূৰ্ণ সহ-অৱস্থানৰ নীতিৰ প্ৰতি তেওঁলোকৰ বিশ্বাস দুয়ো পক্ষই দোহাৰে।

(৪) দুয়োখন ৰাষ্ট্ৰৰ স্বাৰ্থজড়িত প্ৰধান আন্তঃৰাষ্ট্ৰীয় সমস্যাৱলীৰ ক্ষেত্ৰত আলোচনা আৰু সকলো পৰ্য্যায়ৰ মত বিনিময়ৰ জৰিয়তে চুক্তিৰ স্বাক্ষৰকাৰী পক্ষ দুটাই পাৰস্পৰিক নিয়মীয়া যোগাযোগ ৰাখি যাব।

(৫) অৰ্থনৈতিক, বৈজ্ঞানিক আৰু কাৰিকৰী দিশত পাৰস্পৰিক কল্যাণ আৰু সামগ্ৰিক সহযোগিতা দুয়োপক্ষই শক্তিশালী আৰু সম্প্ৰসাৰিত কৰিব। সমতা, পাৰস্পৰিক লাভ আৰু অনুকূলীয় ৰাষ্ট্ৰীয় নীতিৰ ভিত্তিত দুয়োপক্ষই বাণিজ্য, পৰিবহণ আৰু যোগাযোগৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতাৰ বিকাশ ঘটাব।

(৬) বাননিয়ন্ত্ৰণ, নদী অৱবাহিকা উন্নয়ন, জলবিদ্যুত আৰু জলসিঞ্চনৰ উন্নয়নৰ ক্ষেত্ৰত যুটীয়া অধ্যয়ন চলাবলৈ আৰু যুটীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈ দুয়োপক্ষই একমত প্ৰকাশ কৰে।

(৭) কলা, সাহিত্য, শিক্ষা, সংস্কৃতি, ক্ৰীড়া আৰু স্বাস্থ্যৰ ক্ষেত্ৰতো দুয়ো পক্ষই সম্পৰ্ক ঘটাব।

(৮) দুয়োখন ৰাষ্ট্ৰৰ মাজত থকা বৰ্তমানৰ মৈত্ৰীপূৰ্ণ সম্পৰ্কৰ লগত সঙ্গতি ৰাখি প্ৰত্যেক পক্ষই একনিষ্ঠতাৰে ঘোষণা কৰে যে এপক্ষই ইপক্ষৰ বিৰুদ্ধে নিৰ্দিষ্ট কোনো সামৰিক জোটত নোসোমাব আৰু তেনে জোটত কোনোৰকমেই অংশ গ্ৰহণ নকৰিব। এপক্ষই ইপক্ষৰ বিৰুদ্ধে যেই সেই আক্ৰমণৰপৰা বিৰত থাকিব আৰু ইপক্ষৰ সামৰিক অনিষ্ট ঘটাব পৰা বা নিৰাপত্তাৰ প্ৰতি ভাবুকি স্বৰূপ হ'ব পৰা কোনো কাম সংঘটিত হ'বলৈ কোনো পক্ষই নিজৰ মাটি ব্যৱহৃত হ'বলৈ নিদিয়ে।

(৯) এপক্ষৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামত লিপ্ত হোৱা যি কোনো তৃতীয় পক্ষক আনটো পক্ষই সাহায্য দিয়াৰপৰা বিৰত থাকিব। স্বাক্ষৰকাৰী এটা পক্ষ আক্ৰান্ত হ'লে বা আক্ৰমণৰ ভাবুকিৰ সন্মুখীন হ'লে, সেই ভাবুকি দূৰ কৰাৰ বাবে যথোপযুক্ত ব্যৱস্থা ল'বলৈ পাৰস্পৰিক আলোচনা যোগে ৰাষ্ট্ৰ দুখনৰ নিৰাপত্তা আৰু শান্তি নিশ্চিত কৰিব।

(১০) স্বাক্ষৰকাৰী প্ৰত্যেক পক্ষই নিষ্ঠাৰে ঘোষণা কৰে যে বৰ্তমানৰ চুক্তিৰ লগত সঙ্গতি নথকা এক বা একাধিক ৰাষ্ট্ৰৰ প্ৰতি গোপন কোনো প্ৰতিশ্ৰুতি তেওঁলোকে নিদিয়ে।

(১১) বৰ্তমানৰ চুক্তিখন পঁচিশ বছৰৰ বাবে সম্পাদিত হৈছে আৰু দুয়োপক্ষৰ সম্মতিৰে ইয়াৰ ম্যাদ বৃদ্ধি হ'ব পাৰিব। চুক্তিখন স্বাক্ষৰিত হোৱা তাৰিখৰ পৰাই বলৱৎ হ'ব।

(১২) বৰ্তমানৰ চুক্তিখনৰ কোনো মতানৈক্যই দেখা দিলে পাৰস্পৰিক সন্মান আৰু বুজাবুজিৰ মাজেৰে শান্তিপূৰ্ণ উপায়েৰে তাৰ মীমাংসা কৰা হ'ব।

চুক্তিখনৰ উপৰিও দুয়োখন দেশৰ প্ৰধানমন্ত্ৰী দুগৰাকীয়ে এখন যুটীয়া ঘোষণাৰ দ্বাৰা ভাৰত-বাংলাদেশ মৈত্ৰী আৰু সহ...

এই নিবন্ধটোৰ পিচৰ অংশখিনি সংগ্ৰহ কৰিব পৰা নগ'ল।

অসমৰ বাবে নতুন অৰ্থনৈতিক কাৰ্য্যসূচী

নতুন দিল্লীত মুখ্যমন্ত্ৰী সিংহৰ ঘোষণা

যোৱা সপ্তাহত নতুন দিল্লীত সমবেত হোৱা বিভিন্ন ৰাজ্যৰ কংগ্ৰেছী মুখ্যমন্ত্ৰীসকল, প্ৰদেশ কংগ্ৰেছৰ সভাপতিসকল আৰু কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ ওচৰত অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই ৰাজ্যখনৰ বাবে এখনি দহদফীয়া অৰ্থনৈতিক কাৰ্য্যসূচী দাখিল কৰে। শ্ৰীসিংহই আশা প্ৰকাশ কৰে যে এই দহদফীয়া কাৰ্য্যসূচী ৰূপায়িত কৰিব পাৰিলেহে দলে ১৯৭১ আৰু ১৯৭২ চনৰ নিৰ্বাচনত জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পূৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব আৰু দেশৰপৰা দৰিদ্ৰতা দূৰীকৰণৰ কাৰ্য্যসূচী কাৰ্য্যকৰী হ'ব।

দহদফীয়া কাৰ্য্যসূচী

শ্ৰীসিংহই আগবঢ়োৱা কাৰ্য্যসূচীখন হৈছে ঃ

(১) ৰাজ্যৰ উন্নয়নমূলক কাম-কাজৰ ক্ষমতা মহকুমা পৰ্য্যায়লৈ নমাই আনি বিকেন্দ্ৰীকৰণ ঘটাব লাগিব আৰু সাম্প্ৰতিক পঞ্চায়তী আইনৰ সংশোধন ঘটাই মহকুমা পৰ্য্যায়ত পোনপটীয়া নিৰ্বাচন যোগে উন্নয়িনী কমিটী গঠন কৰিব লাগিব।

(২) জনসাধাৰণৰ দৰিদ্ৰতা দূৰীকৰণৰ বাবে কৃষিৰ পুনৰ সংগঠন ঘটাই বিজ্ঞানসন্মত ভেটিত কৃষিক প্ৰতিষ্ঠা কৰিব লাগিব যাতে কৃষকৰ কৃষি উৎপাদন দৰিদ্ৰতা-সীমাৰেখা চেৰাই যাব পাৰে।

(৩) ৰাজ্যৰ সৰ্বাধিক জনশক্তি প্ৰয়োগ কৰিব পৰাকৈ ক্ষুদ্ৰায়তন আৰু মধ্যমীয়া উদ্যোগসমূহ পৰিকল্পনা কৰিব লাগিব আৰু নিবনুৱা ডেকাক নিযুক্তি দিব পৰাকৈ ক্ষুদ্ৰ উদ্যোগবোৰ ঔদ্যোগিক নিগমৰ অধীনত স্থাপন কৰিব লাগিব।

(৪) এনেকৈ ৰাজ্যত উৎপাদিত ঔদ্যোগিক সামগ্ৰীসমূহ ৰাজ্য চৰকাৰে নিৰ্ধাৰিত মূল্যত কিনি ল'ব; অৱশ্যে সামগ্ৰীসমূহ মানবিশিষ্ট হ'ব লাগিব।

(৫) সমাজৰ দুখীয়া অংশৰ লোক, নিবনুৱা ইঞ্জিনীয়াৰ আৰু নিবনুৱা ডেকাৰ সৰ্বাধিক নিযুক্তি কৰিব পৰাকৈ গৃহ নিৰ্মাণ, দলং নিৰ্মাণ, মথাউৰি নিৰ্মাণ, জলসিঞ্চন আৰু খাল নিৰ্মাণ আদি কামবোৰৰ পৰিকল্পনা গ্ৰহণ কৰিব লাগিব।

(৬) ৰাজ্যত শ্ৰমিক বাহিনী গঠন কৰা হ'ব।

(৭) মুৰেৰে মাটি কঢ়িওৱা, যানবাহনত বা ৰেলৰ ডবাত শাৰীৰিক শক্তিৰে মাল তোলা-নমা কৰা আদি কাম যাতে যান্ত্ৰিক উপায়েৰে সমাধা কৰিব পাৰি আৰু এনেবোৰ কামত যাতে শিক্ষিত নিবনুৱা ডেকাই নিঃসংকোচে যোগ দিব পাৰে সেই বিষয়ে উপায় উলিওৱাৰ বাবে মেধাবী ইঞ্জিনীয়াৰসকলে মনোনিবেশ কৰিব লাগে।

(৮) সৰ্বাধিক ৩ - ৪ লাখ টকাৰ ভিতৰত নগৰীয়া সম্পত্তিৰ উচ্চতম সীমা নিৰ্ধাৰিত হ'ব লাগিব।

(৯) পানী যোগান ব্যৱস্থা থাককেই বা নাথাকক, ১৭ একৰত (প্ৰায় ৫১ বিঘা) পৰিয়ালৰ মাটিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰিত হ'ব লাগিব; আৰু

(১০) ভূমিস্বত্ব আইন উজু আৰু পোনপটীয়া কৰি খেতিয়কক মাটিৰ গৰাকী কৰিব লাগিব।

ৰাজনৈতিক দলসমূহৰ সহযোগিতা কামনা

মুখ্যমন্ত্ৰীয়ে কয় যে বৈপ্লৱিক সামাজিক-অৰ্থনৈতিক ৰূপান্তৰ সম্ভৱ কৰি তুলিবলৈ হ'লে উক্ত কাৰ্য্যসূচী কাৰ্য্যকৰী কৰোতে কংগ্ৰেছৰ কাৰ্য্যসূচীৰ প্ৰতি সমৰ্থন জনোৱা অন্যান্য ৰাজনৈতিক দলসমূহৰ সহযোগিতা বিচৰা হ'ব। কাৰ্য্যসূচীত যাতে জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ সম্ভৱপৰ হয়, সেই উদ্দেশ্যৰে সকলো পৰ্য্যায়তে কংগ্ৰেছ দলক পৰিস্থিতিৰ লগত খাপখোৱা বিধৰ কৰি গঢ়ি তুলিব লাগিব বুলিও শ্ৰীসিংহই কয়।

অলপতে অসম কংগ্ৰেছ বিধায়িনী দলে গ্ৰহণ কৰা অৰ্থনৈতিক-সামাজিক কাৰ্য্যসূচীখনৰ প্ৰধান দিশসমূহ ওপৰৰ দহদফীয়া আঁচনিত অন্তৰ্ভুক্ত হৈছে। শ্ৰীসিংহই ক্ষিপ্ৰতাৰে এই কাৰ্য্যসূচীৰ ৰূপায়নৰ কথা উপলব্ধি কৰিছে যদিও কংগ্ৰেছ দলৰ সামগ্ৰিক সীমাবদ্ধতা, প্ৰশাসনৰ ব্যাপক অদক্ষতা আৰু আমোলা-তন্ত্ৰৰ উদ্বেগজনক দুৰ্বলতাৰ ফলত সেই কাৰ্য্যসূচী কিমান দূৰ সফল হ'ব সেই বিষয়ে মুখ্যমন্ত্ৰীৰ সন্দেহ দূৰ হোৱা নাই। এনে অৱস্থাত কংগ্ৰেছ দলৰ উপৰিও সমভাবাপন্ন ৰাজনৈতিক দলসমূহৰ সক্ৰিয় সহযোগ আৰু সমৰ্থন শ্ৰীসিংহই কামনা কৰে। এইবাৰ নতুন দিল্লীৰপৰা ঘূৰি আহি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ প্ৰধান বিৰোধী দলসমূহৰ লগত এই সংক্ৰান্তত এলানি আলোচনা চলাব বুলিও জানিব পৰা গৈছে।

সাপ্তাহিক নীলাচল, ১৭৭ সংখ্যা ঃ ১৩ এপ্ৰিল, ১৯৭২

অসমৰ নতুন ৰাজধানী সম্পৰ্কে গুণা-গঁথা

অহা মাহৰ পাঁচ তাৰিখৰপৰা বহিব লগা অসম বিধান সভাৰ অধিবেশনত অসমৰ ৰাজধানী ক'ত নিৰ্মাণ কৰা হ'ব সেই বিষয়ে চৰকাৰী সিদ্ধান্ত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই কথা দিছে যদিও ৰাজধানী সম্পৰ্কে উঠা বিভিন্ন দাবী আৰু নানা হেঁচাৰ পৰিপ্ৰেক্ষিতত বিষয়টোৱে ইতিমধ্যে যথেষ্ট জটিলতাৰ সৃষ্টি কৰিছে।

গুৱাহাটী বা ইয়াৰ আশে-পাশে নতুন ৰাজধানী পাতিব লাগে বুলি কামৰূপ জিলাৰ একাংশ কংগ্ৰেছী লোকৰ নেতৃত্বত ইতিমধ্যেই চৰকাৰক মুকলিভাবে হেঁচা দিয়া হৈছে। ইপিনে নগাঁৱৰ বিশিষ্ট কংগ্ৰেছী সকলৰ নেতৃত্বই শিলঘাটতহে ৰাজধানী পাতিব লাগে বুলি দাবী জনাই দাবী আদায়ৰ বাবে আন্দোলন চলাব বুলিও সংশ্লিষ্ট মহলে ঘোষণা কৰিছে। দৰং জিলাৰ ভিতৰত যিখিনি জনমত সংগঠিত হৈছে, তাতো শিলঘাটত ৰাজধানী পতাৰ বাবেহে জোৰ দিয়া হৈছে। কিছুদিনৰ আগতে অসম কংগ্ৰেছ বিধায়িনী দলৰ প্ৰায় দুই-তৃতীয়াংশ সদস্যই এক স্বাক্ষৰ অভিযান যোগে ৰাজ্যৰ যথাসম্ভৱ মধ্যস্থানত ৰাজধানী পাতিব লাগে বুলি চৰকাৰক হেঁচা দিছিল। গোৱালপাৰা জিলাৰ জনমত এতিয়ালৈকে নগাঁৱৰ পিনে ৰাজধানী পতাৰ পক্ষে আছে যদিও নানা দিশ বিচাৰ কৰি মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰা সিদ্ধান্ত উক্ত জনমতৰ বিৰুদ্ধে গ'লেও গোৱালপাৰাৰ ৰাইজে ইয়াৰ প্ৰতিবাদ নজনাব বুলিয়েই অনুমান কৰিব পাৰি। কাছাৰকে ধৰি বাকী জিলা কেইখনে ৰাজধানী গুৱাহাটীত নহৈ নগাঁও জিলাৰ কোনো এঠাইত প্ৰতিষ্ঠা হোৱাটো বিচাৰে। শিৱসাগৰ, লক্ষীমপুৰ আৰু ডিব্ৰুগড় জিলাই ৰাজধানী গুৱাহাটীত নিবিচাৰে আৰু মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলাৰ মতো অনুৰূপ বুলি ক'ব পাৰি।

গণতান্ত্ৰিক সিদ্ধান্ত

এনে অৱস্থাত, এই কথা নিশ্চিত যে নতুন ৰাজধানী ক'ত পাতিব লাগিব সেই বিষয়ে যদি কিবা উপায়েৰে গণতান্ত্ৰিক মত গ্ৰহণ কৰা হয়, তেন্তে গুৱাহাটীত ৰাজধানী পাতিব নোখোজাসকলৰ সংখ্যা গুৱাহাটীত পাতিব খোজ সকলতকৈ সৰহীয়া হ'ব। আনহে নালাগে, দলীয় অনুশাসনৰ বান্ধ শিথিল কৰি বিধান সভাৰ সদস্যসকলক, প্ৰধানকৈ কংগ্ৰেছী সদস্যসকলক, নিজস্ব বিবেকানুযায়ী ৰাজধানীৰ স্থান নিৰ্ণয়ৰ বাবে মত প্ৰকাশ কৰিবলৈ দিলে সেই মতো গুৱাহাটীৰ বিপক্ষে যাব। বিধান সভাৰ অকংগ্ৰেছী সদস্যসকলৰ সৰহসংখ্যকৰ মতো গুৱাহাটীৰ বিপক্ষে যোৱাৰ সম্ভাৱনাই সৰহ। এতিয়ালৈকে অকংগ্ৰেছী সদস্যসকলে মুকলিকৈ মত প্ৰকাশ কৰা নাই যদিও, চৰকাৰী সিদ্ধান্তৰ আগে-পিছে বা বিধান সভাৰ আগন্তুক অধিবেশনত এই মত স্পষ্টকৈ প্ৰকাশ পাব বুলি আশা কৰিব পাৰি।

এইখিনিতে প্ৰশ্ন উঠিছে, মুখ্যমন্ত্ৰীয়ে এতিয়া কি কৰিব? মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত গণতান্ত্ৰিক সিদ্ধান্ত গ্ৰহণ কৰিব, নে ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰিব? কংগ্ৰেছ দলৰ মাজতে এই ক্ষেত্ৰত দেখা দিয়া মতৰ অমিলখিনি মুখ্যমন্ত্ৰীয়ে কেনেকৈ চম্ভালিব?

মুখ্যমন্ত্ৰী নিমাত

এটা কথা ঠিক যে মুখ্যমন্ত্ৰীয়ে এতিয়ালৈকে এই বিষয়ত নিজৰ মত নিজৰ ভিতৰতে পুহি ৰাখিছে আৰু আনহে নালাগে তেওঁৰ পৰম বিশ্বস্ত বুলি জনাজাত সকলকো তেওঁৰ অভিমতৰ অংশ দিব খোজা নাই। মুখ্যমন্ত্ৰীৰ নিন্দুকসকলে ভাবে যে শ্ৰীসিংহই, বহুতো বিষয়ৰ দৰে, এই বিষয়তো কেন্দ্ৰীয় চৰকাৰৰ তথা প্ৰধানমন্ত্ৰীৰ উপদেশহে মানিব। এচাম নিন্দুকে ক্ৰমাৎ এইটোও আবিষ্কাৰ কৰিবলৈ লৈছে যে কেন্দ্ৰত থকা অসমৰ দুজন মন্ত্ৰী শ্ৰীআলি আহমদ আৰু শ্ৰীহক চৌধুৰীৰ মতেই মুখ্যমন্ত্ৰীৰ মতো হ'বগৈ পাৰে। অন্য এচাম লোকৰ মতে, মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত কিছু অসুবিধাৰ সমুখীন হ'ব পাৰে, কিয়নো শ্ৰীআলি আহমদে গুৱাহাটীত ৰাজধানী বিচাৰিলেও, শ্ৰীহক চৌধুৰীয়ে গুৱাহাটীত ৰাজধানী নিবিচাৰিবও পাৰে। দ্বিতীয়তে, শ্ৰীআলি আহমদ আৰু শ্ৰীহক চৌধুৰী – এই দুই নেতাৰ অভিমত প্ৰধানমন্ত্ৰী বা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পূৰ্বৰ সমানে গধুৰ নহ'বগৈও পাৰে, কিয়নো ভু-ৰখা মহলৰ মতে অতি সাম্প্ৰতিক কালত এই দুই নেতাই নতুন দিল্লীত পূৰ্বৰ প্ৰভাব অক্ষুণ্ণ ৰাখিব পৰা নাই। প্ৰধানমন্ত্ৰীৰ সিদ্ধান্ত কেনে হ'ব পাৰে? ভু-ৰখা মহলৰ মতে, প্ৰধানমন্ত্ৰীয়ে এইবাৰ নতুন ৰাজধানীৰ বিষয়টো একমাত্ৰ আৰ্থিক দিশৰপৰাহে বিচাৰ কৰিব যেন নালাগে। যদি কিবা কাৰণত আৰ্থিক দিশৰপৰা বিষয়টো বিচাৰ কৰা হয়, তেন্তে ৰাজধানী গুৱাহাটীৰ আশে-পাশে স্থাপিত হোৱাৰ সম্ভাবনাই বেছি। গুৱাহাটীৰ বাহিৰে, অন্য ঠাইৰ ওচৰত ৰাজধানী পাতিলে মুঠ ব্যয় কমপক্ষেও ৩০/৪০ কোটি টকা বৃদ্ধি পাব বুলি বিশেষজ্ঞসকলে ভাবে। গুৱাহাটীৰ বাহিৰে অন্য ঠাইত ৰাজধানী বিচৰাসকলেও এই কথাটো স্বীকাৰ নকৰা নহয়; কিন্তু তেওঁলোকে ক'ব খোজে যে ৰাজধানীৰ ওপৰত অতিৰিক্ত দলং বা অতিৰিক্ত বিমান বন্দৰ, উন্নত ৰেল-সংযোগ, স্থলপথ-সংযোগ, জলপথ সংযোগ আদিৰ দৰে প্ৰকল্পসমূহ অগ্ৰাধিকাৰৰ ভিত্তিত হাতত লোৱাটো সম্ভৱপৰ হ'ব একমাত্ৰ তেতিয়াহে, যেতিয়া ৰাজধানীৰ দৰে এটা সুবৃহৎ প্ৰকল্পৰ কথাও এইবোৰৰ মাজত সোমাই পৰিব। মুখ্যমন্ত্ৰী সিংহই এই সপ্তাহত নতুন দিল্লীত থকা কালত বিষয়টো সম্পৰ্কে এটা সুস্পষ্ট বুজাবুজিত উপনীত হ'ব আৰু ঘূৰি আহি সোনকালেই চৰকাৰী ঘোষণাটো কৰি পেলাব বুলি আশা কৰিব পাৰি। স্থান লৈ এতিয়ালৈকে যিমানেই বাদানুবাদ নহওক লাগে, সুবিবেচিতভাৱে অসম চৰকাৰে এই ক্ষেত্ৰত গ্ৰহণ কৰা সিদ্ধান্ত অসমৰ ৰাইজে আদৰি ল'ব বুলি ক'ব পাৰি। অসমৰ ৰাইজৰ বাবে আটাইতকৈ জৰুৰী প্ৰশ্নটো হৈছে : অসমৰ ৰাজধানী ততালিকে চিলঙৰপৰা নমোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে আৰু নতুন ৰাজধানীৰ স্থান নিৰ্ণয় কৰিব লাগে।

আদৰণীয়

এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে আৰু এটা কথাৰ ওপৰত গুৰুত্ব দান কৰিছে। শ্ৰীসিংহৰ মতে, অসমৰ নতুন ৰাজধানী য'তেই নহওক লাগে, অসমৰ মানুহে নিজস্ব শ্ৰম, বুদ্ধি আৰু বৃত্তিৰে ইয়াক নিৰ্মাণ কৰিব লাগিব।

মুখ্যমন্ত্ৰীৰ এই দৃষ্টিভঙ্গী আদৰণীয়। দৰাচলতে 'সাপ্তাহিক নীলাচল'ৰ পিঠিত প্ৰায় ডেৰ বছৰ মানৰ আগতে এনে দৃষ্টিভঙ্গীৰ ভিত্তিতহে অসমত নতুন ৰাজধানী নিৰ্মাণ কৰিব লাগিব বুলি কোৱা হৈছিল। মুখ্যমন্ত্ৰীয়ে এতিয়া অনুৰূপ মনোভাব প্ৰকাশ কৰাটো অতি সন্তোষৰ কথা।

সাপ্তাহিক নীলাচল, ১৮১ সংখ্যা ঃ ১০ মে', ১৯৭২

অসমৰ অৰ্থনৈতিক সঙ্কট আৰু চৰকাৰৰ কৰ্তব্য

ৰিজাৰ্ভ বেঙ্কে ৰাজ্যসমূহক দিয়া অ'ভাৰ-ড্ৰাফ্‌টৰ সীমা কটকটীয়াকৈ বান্ধি দিয়াৰ ফলত অসম চৰকাৰে কেতবোৰ অভূতপূৰ্ব ব্যয়-সঙ্কোচনমূলক ব্যৱস্থা লব লগা হৈছে। যোৱা পহিলা মে'ৰপৰা বলবৎ হোৱা এই ব্যৱস্থাসমূহৰ দ্বাৰা নতুন নিযুক্তি আৰু পদোন্নতি বন্ধ কৰাৰ পৰা আৰম্ভ কৰি আলি-পদুলিৰ মেৰামতি আৰু পৰিকল্পনা-বহিৰ্ভূত উন্নয়নমূলক কাম-কাজ পৰ্য্যন্ত বন্ধ কৰিবলৈ বিচৰা হৈছে। স্বাভাৱিকতেই এনেবোৰ ব্যৱস্থা কেতিয়াও স্থায়ী হ'ব নোৱাৰে। সমাজৰপৰা দাৰিদ্ৰ্য আৰু নিবনুৱা সমস্যা দূৰ কৰিম বুলি প্ৰতিশ্ৰুতি দি ক্ষমতা লাভ কৰা নতুন ৰাজ্য-চৰকাৰে নিজৰ কাৰ্য্য-কালৰ আৰম্ভণিতেই সকলো উন্নয়নমূলক প্ৰচেষ্টা অচল হৈ পৰা আৰু কৰ্ম-সংস্থানৰ সকলো পথ বন্ধ হৈ পৰা এটা অৱস্থাৰ সৃষ্টি কৰি বেছি দিন ক্ষমতাত অধিষ্ঠিত থাকিবলৈ কেতিয়াও আশা কৰিব নোৱাৰে। বৰ্তমানৰ এই অৰ্থনৈতিক সংকট অতিক্ৰম কৰিবৰ কাৰণে ৰাজ্য চৰকাৰে অতি সোনকালেই নতুন বাট বিচাৰি উলিয়াব পাৰিব। বিধান সভাৰ আগন্তুক বাজেট অধিবেশনতেই এই সম্পৰ্কত ৰাজ্য চৰকাৰৰ চিন্তাধাৰাৰ কিছু আভাস নিশ্চয় পোৱা যাব।

ৰাজ্য চৰকাৰৰ হাতলৈ ধন আহিবলৈ দুটাই মাত্ৰ পথ আছে ঃ এটা হ'ল ৰাজ্যিক বাজেটত নতুন কৰ-কাটল ধাৰ্য্য কৰা, আনটো হ'ল কেন্দ্ৰীয় অৰ্থ-সাহায্য। (অৱশ্যে অসম চৰকাৰৰ প্ৰশাসনীয় শিথিলতা আৰু দায়িত্বহীনতাৰ ফলত কেইবা কোটি টকাৰ কৰ আৰু ঋণো আদায় নোহোৱা অৱস্থাত পৰি আছে; সেই টকাখিনি আদায় কৰিব পাৰিলেও ৰাজ্য চৰকাৰৰ ওপৰত বৰ্তমানে পৰা অভাৱৰ হেঁচা বহুখিনি লাঘৱ হ'ব।) অসম চৰকাৰে যদি আগন্তুক বাজেটত নতুন কৰ-কাটল লগাই বৰ্তমানৰ অৰ্থনৈতিক সংকট আংশিক পৰিমাণে হ'লেও সমাধান কৰাৰ কথা চিন্তা কৰিছে, তেন্তে তাতোকৈ ডাঙৰ ভুল আৰু আন একোৱেই হ'ব নোৱাৰিব। নিতান্ত যান্ত্ৰিকভাৱে অংক কৰি হিচাব কৰিলে দেখা যায় যে ভাৰতৰ অন্যান্য বহু ৰাজ্যতকৈ অসমত জনমূৰি কৰৰ পৰিমাণ বহুত কম। উদাহৰণস্বৰূপে, পঞ্জাৱত গড় হিচাবে প্ৰতিজন মানুহে কৰ দিয়ে ৩৭.৪৬ টকা, পশ্চিম বংগত ২৬.৩০ টকা, গুজৰাটত ২৯.৫৯ টকা...... কিন্তু অসমৰ জনমূৰি কৰৰ পৰিমাণ মাত্ৰ ১৮.৬৬ টকা। এই হিচাবৰ ভিত্তিত বহুতে ক'ব খোজে যে অসমত আৰু বহুত কৰ-কাটল লগাবলৈ স্থল আছে; কিন্তু হিচাবৰ আনটো পিঠি চাবলৈ তেওঁলোকে পাহৰি যায়। সেইটো পিঠি চালে দেখা যাব — ভাৰতৰ আন সকলো ৰাজ্যতকৈ অসমত জীৱন-ধাৰণৰ ব্যয় ইমান বেছি আৰু প্ৰকৃত জন-মূৰি আয় ইমান কম যে ইয়াৰ জনসাধাৰণৰ ওপৰত নতুনকৈ কৰ-কাটল লগাবলৈ আৰু কোনো উপায় নাই। আমি আশা কৰোঁ যে অসমৰ নতুন চৰকাৰে আগন্তুক বাজেটত নতুন কৰ-কাটল লগাই ঘাটি পূৰণৰ চেষ্টা নকৰি অন্য কোনো বিকল্প উপায়ৰ কথা চিন্তা কৰিব। অসমৰ জনসাধাৰণৰ আৰ্থিক অৱস্থা সম্পৰ্কে নতুন চৰকাৰৰ কিমানখিনি বাস্তৱ উপলব্ধি আৰু সহানুভূতি আছে সেই কথা আগন্তুক বাজেটেই প্ৰমাণ কৰি দেখুৱাব।

যিকেইটা বিকল্প উপায় আছে সেইবোৰৰ ভিতৰত কেন্দ্ৰীয় অৰ্থ-সাহায্যই প্ৰধান। ৰাজ্যসমূহৰ অৰ্থ-সংগ্ৰহৰ পথ আৰু উপায় কেন্দ্ৰৰ তুলনাত এনেয়ে বহুত কম; অসমৰ নিচিনা অনগ্ৰসৰ ৰাজ্যত নতুন কৰ-কাটল ধাৰ্য্য কৰাৰ স্থল একেবাৰে নাই বুলিয়েই ক'ব পাৰি। তেনেস্থলত কেন্দ্ৰই যদি অসমৰ আৰ্থিক প্ৰয়োজনখিনি পূৰণ কৰিবলৈ আগবাঢ়ি নাহে, তেন্তে সম্পূৰ্ণ অৰ্থনৈতিক স্থবিৰতাৰ বাহিৰে এই ৰাজ্যৰ আন

কোনো ভৱিষ্যত নাই। কিন্তু কেন্দ্ৰই অনুগ্ৰহ কৰি অসমক একো দয়াৰ দান দিব নালাগে। অসমৰ তেল আৰু চাহ আদি সম্পদৰ পৰা কেন্দ্ৰই যি পৰিমাণৰ ধন ঘটে তাৰ ন্যায্য অংশৰপৰা অসমক বঞ্চিত নকৰিলেও অসম বোধহয় বৰ্তমানৰ নিচিনা জটিল অৰ্থনৈতিক সঙ্কটৰ সমুখীন হ'ব নালাগিব। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ বিত্তীয় সম্পৰ্ক যোৱা কিছুদিন ধৰি এটা ডাঙৰ বিতৰ্কৰ বিষয় হৈ পৰিছে। নিৰপেক্ষ পৰ্য্যবেক্ষকসকলেও এই কথা স্বীকাৰ কৰিছে যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বৰ্তমানে যি ধৰণৰ বিত্তীয় সম্পৰ্ক চলি আছে সি ধনী ৰাজ্যকেইখনক অধিক ধনী আৰু দুখীয়া ৰাজ্যকেইখনক অধিক দুখীয়া কৰাত সহায় কৰিছে। পঞ্চম বিত্ত আয়োগৰ অন্যতম সদস্য শ্ৰীজি স্বামীনাথনে এটা সুকীয়া বিসম্বাদী টোকাত কৈছিল : 'কেন্দ্ৰৰপৰা ৰাজ্যসমূহলৈ যিভাৱে অৰ্থ হস্তান্তৰ কৰিবলৈ আমি পৰামৰ্শ দিছোঁ তাৰ দ্বাৰা আপেক্ষিকভাৱে অধিক জনমূৰি আয় থকা উন্নত ৰাজ্যকেইখনৰ ওপৰঞ্চি সম্পদ পোৱাতহে সহায় হ'ব। তাৰ ফলত সেই ৰাজ্য কেইখন আৰু অন্যান্য ৰাজ্যবোৰৰ মাজত থকা বৈষম্য বৃদ্ধি পাব।' বাস্তৱত ঠিক আজি সেইটোৱেই ঘটিছে। কেন্দ্ৰীয় চৰকাৰৰ এনে বৈষম্য-মূলক আচৰণৰ ফলত অসমৰ নিচিনা দুখীয়া আৰু অনগ্ৰসৰ ৰাজ্যবোৰ অৰ্থনৈতিক স্থবিৰতাৰ পিতনিত আবদ্ধ হৈ পৰিছে। এই অৱস্থাৰ অৱসান ঘটাবলৈ হ'লে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বৰ্তমানে চলি থকা বিত্তীয় সম্পৰ্কৰ আমূল পৰিবৰ্তন কৰিব লাগিব। শৰৎ সিংহৰ নতুন চৰকাৰৰ এইটোৱেই প্ৰথম চেষ্টা হোৱা উচিত বুলি আমি ভাবোঁ। প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধী বৰ্তমানৰ ব্যৱস্থা সলনি কৰিবলৈ ৰাজী নহয়। কাৰণ সেইটো কৰিলে তেওঁৰ মতে উন্নত আৰু সম্পদশালী ৰাজ্যকেইখনহে অধিক লাভবান হ'ব। যদি সেইটোৱেই হয়, তেন্তে কেন্দ্ৰীয় চৰকাৰে বিশেষ ক্ষমতা প্ৰয়োগ কৰি অসমৰ নিচিনা দুখীয়া ৰাজ্যৰ উন্নয়নৰ কাৰণে সুকীয়া বিশেষ পুঁজিৰ ব্যৱস্থা কৰা উচিত। তাকে নকৰি বা কেন্দ্ৰ-ৰাজ্যৰ বৰ্তমানৰ বিত্তীয় সম্পৰ্কৰ পৰিবৰ্তন নকৰাকৈ ৰিজাৰ্ভ বেঙ্কৰ দ্বাৰা অভাৰ-ড্ৰাফট্ বন্ধ কৰাবলৈ কেন্দ্ৰৰ কোনো নৈতিক অধিকাৰ নাই। অসমৰ নতুন চৰকাৰৰ দ্বাৰা প্ৰস্তাৱিত প্ৰশাসনীয় সংস্কাৰ বা ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আদি সকলো ব্যৱস্থাই ফুটুকাৰ ফেনত পৰিণত হ'ব বা ৰাজ্যিক স্বায়ত্ত শাসনো অৰ্থহীন প্ৰহসনত পৰিণত হ'ব—যদিহে অসমে কেন্দ্ৰৰপৰা নিজৰ ন্যায্য-প্ৰাপ্য আদায় কৰাৰ ক্ষেত্ৰত কৃতকাৰ্য্য হ'ব নোৱাৰে। অলপতে যি ষষ্ঠ বিত্ত আয়োগ গঠন কৰা হ'ব সেই আয়োগৰ আগত নিজৰ দাবীসমূহ শক্তিশালীভাৱে দাঙি ধৰিবলৈকো অসম চৰকাৰ এতিয়াৰপৰাই সক্ষম হোৱা উচিত। অৱশ্যে এই কথা ঠিক যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ বিত্তীয় সম্পৰ্কৰ প্ৰয়োজনীয় পৰিবৰ্তন সাধন নকৰালৈকে বিত্ত আয়োগে বিতৰণ কৰা অৰ্থ-সম্পদৰ দ্বাৰা অসমৰ নিচিনা দুখীয়া ৰাজ্যবোৰ বিশেষভাৱে উপকৃত হোৱাৰ কোনো আশা নাই, কাৰণ বিতৰণ-যোগ্য কেন্দ্ৰীয় অৰ্থ-সম্পদৰ মাত্ৰ শতকৰা ৩৫ ভাগমানহে বিত্ত আয়োগৰ দ্বাৰা বিতৰণ কৰা হয়।

অসমৰ ভিতৰত অৰ্থনৈতিকভাৱে আটাইতকৈ পিচপৰা গোৱালপাৰা জিলাৰ স্বায়ত্ত-শাসনৰ কাৰণে আন্দোলন কৰি শ্ৰীশৰৎ সিংহই এসময়ত এটা নতুন বাট দেখুৱাইছিল। আজি তেওঁ অসমৰ নিচিনা এখন দুখীয়া আৰু পিচপৰা ৰাজ্যৰ মুখ্যমন্ত্ৰী। আজি যদি তেওঁ প্ৰকৃত ৰাজ্যিক স্বায়ত্ত-শাসন আৰু কেন্দ্ৰৰপৰা অসমৰ ন্যায্য প্ৰাপ্য আদায়ৰ কাৰণে এটা আন্দোলনৰ সূচনা কৰে, তেন্তে অসমৰ সমগ্ৰ জনসাধাৰণে নিশ্চয় তেওঁৰ পিচত থিয় দিব। আমি আকৌ দোহাৰিব খোজোঁ যে অৰ্থ সংগ্ৰহৰ কাৰণে অসমৰ যিহেতু নিজস্ব কোনো উৎস নাই, তেনেস্থলত কেন্দ্ৰৰপৰা অসমৰ প্ৰাপ্য আদায় কৰিব নোৱাৰিলে অসমৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে কোনো নতুন কাৰ্য্যকৰী ব্যৱস্থা লোৱা সম্ভৱ নহ'ব, আৰু তাৰ ফলত অদূৰ ভৱিষ্যতত অসমত এটা ডাঙৰ সামাজিক অশান্তিয়ে দেখা দিব।

শ্রীশৰৎ চন্দ্ৰ সিংহৰ মুখ্য-মন্ত্ৰীত্বৰ প্ৰথম দুটা মাহ

প্ৰথম দুটা মাহৰ ভিতৰত নতুন চৰকাৰে কি কি নতুন কাম কৰিবলৈ সমৰ্থ হৈছে বুলি এজন সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত যোৱা ৮ মে' তাৰিখে মুখ্যমন্ত্ৰী শ্ৰীসিংহই উত্তৰ দিছিল : "এতিয়ালৈকে আমি একো কামেই কৰিব পৰা নাই। মাত্ৰ দুটা মাহ আচলতে নিচেই তাকৰ সময়। আমি কি কি কৰিম সেই বিষয়ে আমি এতিয়া পৰিকল্পনাহে কৰি আছোঁ।"

সিংহ মন্ত্ৰী-সভাই এতিয়ালৈকে ৰাইজৰ চকুতলগা একো কামেই যে কৰিব পৰা নাই সেই কথা সঁচা, আৰু এই অপকট স্বীকাৰোক্তিৰ দ্বাৰা শ্ৰীশৰৎ চন্দ্ৰ সিংহই তেওঁৰ সততাৰ পৰিচয় দিছে। কিন্তু সেইবুলি নতুন চৰকাৰে যে কোনো ক্ষেত্ৰতেই একো নতুনত্বৰ পৰিচয় দিব পৰা নাই — সেই কথা সঁচা নহয়। যোৱা দুমাহৰ ভিতৰত সিংহ মন্ত্ৰী-সভাৰ আটাইতকৈ ডাঙৰ কৃতিত্ব হ'ল এয়েই যে নতুন চৰকাৰে তেওঁলোকৰ বিভিন্ন উক্তি আৰু কাম কৰাৰ নতুন ষ্টাইলৰ দ্বাৰা জনসাধাৰণৰ মনত এক নতুন প্ৰত্যাশা জগাই তুলিছে। ই এটা অতি তাৎপৰ্য্যপূৰ্ণ ঘটনা। পূৰ্ববৰ্তী চৰকাৰবোৰৰ আমোলত মানুহে নতুন কিবা এটা যে হ'ব পাৰে বা পৰিবৰ্তন আহিব পাৰে — তেনেকুৱা আশা পোষণ কৰিবলৈকে সমুলি পাহৰি গৈছিল। হতাশাত অভ্যস্ত হৈ হৈ মানুহৰ মনত এটা চিনিকেল্ দৃষ্টি-ভঙ্গী গঢ় লৈ উঠিছিল। পৰিবৰ্তনৰ সম্ভাৱনাত বিশ্বাস হেৰুওৱাটো মানসিক মৃত্যু বা জড়াবস্থাৰেই নামান্তৰ মাত্ৰ। শ্ৰীশৰৎ সিংহই মাত্ৰ দুমাহৰ ভিতৰতে এই অবস্থাৰ অৱসান ঘটাবলৈ সমৰ্থ হৈছে। পিচলৈ কামত কৰিব পাৰক বা নোৱাৰক — এতিয়া অন্ততঃ মুখেৰে হ'লেও তেওঁ বহুতো নতুন নতুন কামৰ কথা চিন্তা কৰিছে আৰু এইবোৰ সৰব চিন্তাৰ দ্বাৰাই তেওঁ জন-সাধাৰণৰ মনত সামান্য পৰিমাণে হ'লেও নতুন আশাৰ সঞ্চাৰ কৰিছে। মুঠতে তেওঁ ৰাজ্যখনত এটা নতুন মনস্তাত্ত্বিক বাতাবৰণ সৃষ্টি কৰিছে। আমিও ভাবোঁ যে শ্ৰীশৰৎ সিংহ আৰু তেওঁৰ সহযোগীসকলৰ এতিয়ালৈকে এইটোৱেই আটাইতকৈ ডাঙৰ কৃতিত্ব।

সিংহ মন্ত্ৰী-সভাৰ দ্বিতীয় উল্লেখযোগ্য কৃতিত্ব হ'ল দুৰ্নীতিৰ বিৰুদ্ধে আৰম্ভ কৰা অভিযান। অৱশ্যে এই ক্ষেত্ৰতো নতুন চৰকাৰে সু-পৰিকল্পিতভাৱে কামত আগবাঢ়িছে বা বিশেষ কৃতকাৰ্য্যতা লাভ কৰিছে বুলি দাবী কৰিব নোৱাৰি। কিন্তু অসমৰ শাসন দলৰ ৰাজনৈতিক নেতাসকলৰ ভিতৰত শ্ৰীশৰৎ সিংহই প্ৰথম নেতা— যিজনে প্ৰশাসনিক দুৰ্নীতিক বৰ্তমান সমাজৰ এটা প্ৰধান সমস্যা আৰু সামাজিক প্ৰগতিৰ পথত এটা ডাঙৰ বাধা বুলি স্পষ্টভাৱে স্বীকাৰ কৰি লৈছে। ফলত দুৰ্নীতিৰ বিৰুদ্ধে তেওঁ কৰা উক্তি আৰু গ্ৰহণ কৰা ব্যৱস্থাসমূহে এটা নতুন তাৎপৰ্য্য লাভ কৰিছে। বহুদিনৰ মূৰত জনসাধাৰণে দুৰ্নীতিৰ বিৰুদ্ধে এটা নতুন সচেতনতা অনুভৱ কৰিছে আৰু তাৰ বিৰুদ্ধে যুঁজ কৰাটো সম্ভৱপৰ বুলি ভাবিবলৈ আৰম্ভ কৰিছে। ইয়াৰ কাৰণ সমস্ত কৃতিত্ব শৰৎ সিংহ আৰু তেওঁৰ সহযোগীসকলৰ প্ৰাপ্য। দুৰ্নীতিৰ বিৰুদ্ধে অভিযানত শৰৎ সিংহ কৃতকাৰ্য্য হোৱাৰ আশা আছে। তাৰ প্ৰধান কাৰণ হ'ল— তেওঁৰ মন্ত্ৰী-সভাৰ বেছিভাগ সদস্যই নতুন। আগৰ চৰকাৰবোৰে দুৰ্নীতিৰ ব্যাপক অস্তিত্ব স্বীকাৰ নকৰিছিল বা দুৰ্নীতিৰ কাহিনীবোৰ সদৰী হৈ পৰাটো ভাল নাপাইছিল— কাৰণ দুৰ্নীতিৰ অস্তিত্ব স্বীকাৰ কৰি ললে তাৰ দায়িত্বও তেওঁলোকে মানি ল'ব লগা হৈছিল। কিন্তু সিংহ মন্ত্ৰী-সভাত মুখ্যমন্ত্ৰীকে ধৰি বেছিভাগ সদস্যই নতুন হোৱাৰ ফলত আৰু চৰকাৰবোৰৰ দুৰ্নীতিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ তেওঁলোকৰ কোনো স্বাৰ্থ বা বাধ্যবাধকতা নাই। বৰং আগৰ চৰকাৰৰ দুৰ্নীতি যিমান

পৰা যায় উদ্‌ঘাটন কৰাতহে নতুন চৰকাৰৰ স্বাৰ্থ জড়িত আছে, কাৰণ তেতিয়াহ'লে আগৰ চৰকাৰক ক্ষমতাচ্যুত কৰাৰ যুক্তি-যুক্ততা অধিক সবলভাবে প্ৰমাণিত হয়। চৰকাৰী বিষয়াসকলে এই কথা ভালকৈ বুজি পাইছে। সেই কাৰণে বিধান সভাৰ সদস্য আৰু বাতৰি কাকতৰ মানুহৰ কাৰণে চৰকাৰৰ দুৰ্নীতিৰ খবৰ সংগ্ৰহ কৰাটো আগতকৈ অধিক সহজ হৈ পৰিছে। ইয়াৰ ফল এয়েই হ'বগৈ যে স্বাৰ্থ-জড়িত মহলে ইমান দিনে সযতনে লুকুৱাই ৰখা বহুতো দুৰ্নীতিৰ কাহিনী এতিয়া লাহে লাহে প্ৰকাশ হৈ পৰিব আৰু তেতিয়া সেই অপৰাধবোৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাটো চৰকাৰৰ পক্ষে সহজ হৈ পৰিব। পৃথিবীৰ সকলো দেশৰ আইন সভা আৰু বাতৰি কাকতবোৰেই দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ চৰকাৰক বাধ্য কৰে।

দুৰ্নীতিৰ বিৰুদ্ধে অভিযান সফল হ'ব পৰাৰ দ্বিতীয় কাৰণ হ'ল এই যে যি কেইজন ক্ষমতা-শালী ৰাজনৈতিক নেতা আৰু মন্ত্ৰীৰ পৃষ্ঠপোষকতাত দীৰ্ঘদিন ধৰি দুৰ্নীতিৰ পাপ-চক্ৰ গঢ়ি উঠিছিল, অসমৰ ৰাজনৈতিক মঞ্চৰপৰা সেই কেইজন লোকৰ প্ৰস্থান ঘটিছে। ফলত ন্যস্ত-স্বাৰ্থ দুৰ্গটো এতিয়া লাহে লাহে ভাগি পৰিছে। সিংহ মন্ত্ৰীসভাৰ সদস্যসকলে নিজেই যদি দুৰ্নীতিত লিপ্ত হৈ নপৰে তেন্তে দুৰ্নীতিৰ বিৰুদ্ধে সফলভাবে যুদ্ধ কৰিবলৈ তেওঁলোকৰ সমুখত এটা সোণালী সুযোগ আহি উপস্থিত হৈছে। কিন্তু এই পৰ্য্যন্ত শ্ৰীশৰৎ সিংহই তেওঁৰ সহযোগীসকলক এক নতুন আদৰ্শবাদিতাৰে উদ্বুদ্ধ কৰি ৰাখিবলৈ সক্ষম হৈছে, আৰু অসমৰ ৰাজনীতিত আদৰ্শবাদিতাৰে এই পুনৰুজ্জীৱন শ্ৰীসিংহৰ নেতৃত্বৰ এটা প্ৰশংসনীয় কৃতিত্ব।

শ্ৰীসিংহই নিজেই স্বীকাৰ কৰিছে যে চৰকাৰ গঠন কৰিবৰ দিন ধৰি যোৱা দুমাহৰ ভিতৰত তেওঁৰ মন্ত্ৰীসভাই একো কাম কৰিব পৰা নাই, কাম কৰাৰ পৰিকল্পনা কৰিছে মাথোন। স্বাভাৱিকতেই এই ক্ষেত্ৰত চুবুৰীয়া পশ্চিমবঙ্গ চৰকাৰৰ তুলনা আহি যায়। বহুতেই আঙুলিয়াই দিছে যে পশ্চিমবঙ্গ চৰকাৰে এই দুমাহৰ ভিতৰতে যথেষ্ট কাম কৰি পেলাইছে। অৱশ্যে এইখিনিতে এটা কথা স্বীকাৰ কৰিব লাগিব যে পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী শ্ৰীসিদ্ধাৰ্থশঙ্কৰ ৰায়ৰ দীৰ্ঘদিনৰ প্ৰশাসনীয় অভিজ্ঞতা আছে; তেওঁৰ তুলনাত চৰকাৰৰ মেকানিজম্ সম্পৰ্কে অভিজ্ঞ হ'বলৈ শ্ৰীসিংহৰ নিশ্চয় কিছু সময় লাগিব। সেইখিনি স্বীকাৰ কৰিও শ্ৰীসিংহৰ বিপক্ষে এযাৰ কথা ক'ব লগা আছে। কোনোবা মানুহে যেতিয়া শাসন-ক্ষমতা দখল কৰিবলৈ আগবাঢ়ি আহে, তেতিয়া ধৰি লোৱা হয় যে কেতবোৰ বিশেষ কাম কৰিবলৈ তেওঁৰ মনত এটা নিৰ্দিষ্ট পৰিকল্পনা আছে, আৰু সেই পৰিকল্পনা কাৰ্য্যকৰী কৰিবলৈ সুবিধা পাবৰ কাৰণেহে তেওঁ শাসন-ক্ষমতা বিচাৰিছে। শাসন-ক্ষমতা হাতত পৰিলেহে তেওঁ কাম কৰাৰ পৰিকল্পনা কৰিব — এনে এটা ধাৰণা সৃষ্টি হ'বলৈ দিয়াটো সুবুদ্ধিৰ পৰিচায়ক নহয়। কিন্তু শ্ৰীসিংহই যোৱা দুমাহ ধৰি তেনে এটা ধাৰণাৰেই সৃষ্টি কৰিছে। তদুপৰি চৰকাৰী কাম-কাজৰ দুটা ভাগ থাকে : এটা হ'ল হ্ৰস্ব-ম্যাদী, অৰ্থাৎ দৈনন্দিন প্ৰয়োজন পূৰ্ণ কৰা; আনটো হ'ল দীৰ্ঘ-ম্যাদী, অৰ্থাৎ ভৱিষ্যতৰ প্ৰতি দৃষ্টি ৰাখি কাম কৰা। যোৱা দ্বিতীয় মহাযুদ্ধৰ সময়ত যেতিয়া গ্ৰেট বৃটেইনৰ অস্তিত্ব লৈয়েই টনাটনি হৈছিল, তেতিয়াও প্ৰধানমন্ত্ৰী চাৰ্চিলে শত্ৰুৰ বিৰুদ্ধে মৰণ-পণ যুদ্ধ কৰি যোৱাৰ লগে লগে যুদ্ধৰ শেষত দেশত সৰহ আলু উৎপাদনৰ কাৰণেও পৰিকল্পনা প্ৰস্তুত কৰি ৰাখিছিল। শ্ৰীসিংহৰ চৰকাৰ ভৱিষ্যতৰ কাৰণে পৰিকল্পনা কৰাত যিমান ব্যস্ত হৈ পৰিছে, সেই অনুপাতে প্ৰতিদিনে দেখা দিয়া সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত আশানুৰূপভাবে সক্ৰিয় আৰু সচেতন নহয় বুলি বাহিৰৰ ধাৰণা হৈছে। উদাহৰণ স্বৰূপে, বিলাতী মাটিৰ ব্যৱসায়ৰ ক্ষেত্ৰত উঠা দুৰ্নীতিৰ অভিযোগ সম্পৰ্কে তদন্ত কৰিবলৈ ন্যায়িক কমিটী গঠন কৰা হ'ব বুলি বিধানসভাৰ যোৱা অধিবেশনতেই প্ৰতিশ্ৰুতি দিয়া হৈছিল, কিন্তু আজিলৈকে সেই প্ৰতিশ্ৰুতি কাৰ্য্যকৰী কৰা হোৱা নাই। চৰকাৰৰ বহুতো বিভাগ, বহুতো বিষয়া আৰু বহুতো ৰাজনৈতিক নেতাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ বহুদিন ধৰি পুঞ্জীভূত হৈ আহিছে। যোৱা দুমাহৰ ভিতৰতো একাধিক বাতৰি কাকতে নতুন নতুন দুৰ্নীতিৰ তথ্য প্ৰকাশ কৰিছে। কিন্তু চৰকাৰে সেইবোৰ সম্পৰ্কে

ততাতৈয়াকৈ ব্যৱস্থা লোৱাৰ কোনো উদ্যম দেখুওৱা নাই। আৰম্ভণিতেই এনে ধৰণৰ দীৰ্ঘ-সূত্ৰিতাই চৰকাৰৰ আন্তৰিকতাক জনসাধাৰণৰ চকুত সন্দেহ-ভাজন কৰি তোলে।

চৰকাৰৰ প্ৰত্যেকটো কামেই যে চমকপ্ৰদ বা নাটকীয় হ'ব লাগিব — তাৰ কোনো মানে নাই। ব্যক্তিৰ জীৱনৰ দৰেই সামাজিক বা ৰাষ্ট্ৰীয় জীৱনৰ সুখ-সমৃদ্ধিও বহুতো সৰু সৰু কথা আৰু সৰু কামৰ ওপৰত নিৰ্ভৰশীল। যোৱা দুমাহৰ ভিতৰত শ্ৰীসিংহৰ নতুন চৰকাৰে বিশেষ চমক-প্ৰদ কাম কৰিব নোৱাৰিলেও এনে কেইটামান অত্যাৱশ্যকীয় ব্যৱস্থা হাতত লৈছে — যিবোৰ দেখাত সৰু হ'লেও অসমৰ অৰ্থনীতিৰ ওপৰত তাৰ প্ৰভাৱ হ'ব অতি কল্যাণ-প্ৰসূ আৰু সুদূৰ-প্ৰসাৰী। এইবোৰৰ ভিতৰত বিশেৰভাৱে উল্লেখযোগ্য হ'ল প্ৰশাসনীয় অপচয় বন্ধ কৰি মিতব্যয়িতা আৰোপ কৰাৰ চেষ্টা আৰু থলুৱা ক্ষুদ্ৰ উদ্যোগপতিক সহায় কৰিবৰ কাৰণে কেতবোৰ ব্যৱস্থা গ্ৰহণ। অসমৰ চৰকাৰী অফিচবোৰত যিমানবোৰ আচবাব-পত্ৰ লাগে, আগতে সেইবোৰ টেণ্ডাৰৰ যোগেদি কিনা হৈছিল, আৰু যাৰ যি খুচি সেইভাবেই বস্তু কিনিছিল। নতুন চৰকাৰে ব্যৱস্থা লৈছে যে টেণ্ডাৰ-প্ৰথা উঠাই দিয়া হ'ব আৰু সকলোবোৰ প্ৰয়োজনীয় আচবাব-পত্ৰৰ এটা মাত্ৰ জোখ আৰু মান ঠিক কৰি দি সেইবোৰ তৈয়াৰ কৰাৰ ভাৰ থলুৱা মানুহক দিয়া হ'ব। থলুৱা নিৰ্মাতাক এটা নিৰ্দিষ্ট পৰিমাণৰ লাভ কৰাৰ সুবিধা দি চৰকাৰে পোনে পোনে তেওঁলোকৰপৰা বস্তুবোৰ কিনি লব। দ্বিতীয়তে, চৰকাৰী অফিচৰ প্ৰয়োজনীয় ষ্টেচনাৰী-দ্ৰব্য আদিও থলুৱা উদ্যোগবোৰৰপৰাহে ক্ৰয় কৰা হ'ব। চৰকাৰৰ এই নতুন ব্যৱস্থাৰ ফলত চৰকাৰী ধনৰ অপচয় আৰু দুৰ্নীতি বন্ধ হ'ব, চৰকাৰী বিষয়াৰ ৰাজকীয় বিলাস-প্ৰীতি লোপ পাব আৰু লগতে থলুৱা ক্ষুদ্ৰ উদ্যোগৰ দ্ৰুত বিকাশ হোৱাত ডাঙৰ সহায় কৰা হ'ব। আগৰ চৰকাৰে এনেবোৰ কামৰ উপকাৰিতা বুজিও নুবুজাৰ ভাও জুৰি অসমৰ ধন বাহিৰলৈ ওলাই যোৱাৰ বাট মুকলি কৰি ৰাখিছিল। সিংহ চৰকাৰৰ এই নতুন ব্যৱস্থা সকলো ৰাইজৰে অকুণ্ঠ প্ৰশংসাৰ যোগ্য।

সিংহ চৰকাৰে যিবোৰ নতুন কামৰ পৰিকল্পনা কৰি আছে সেইবোৰৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল — (১) ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ প্ৰস্তাৱ, (২) কৃষিৰ উন্নতি আৰু উৎপাদন-বৃদ্ধিৰ কাৰণে প্ৰত্যেক জিলা বা মহকুমাত একোটাকৈ পাইলট প্ৰজেক্ট স্থাপন, (৩) ঔদ্যোগিক নীতিৰ পুনৰ্বিন্যাস, (৪) কেইটামান ৰুগ্ন উদ্যোগৰ ভাৰ চৰকাৰে গ্ৰহণ কৰি সেইবোৰ লাভ দায়ক হোৱাৰ পিচত থলুৱা উদ্যোগ-পতিলৈ হস্তান্তৰ কৰা, (৫) গ্ৰামাঞ্চললৈ বিজুলী যোগান সম্প্ৰসাৰণ কৰা, (৬) দুখীয়া মানুহক গৃহ-নিৰ্মাণৰ কাৰণে সাহায্য দিবৰ কাৰণে গৃহ-নিৰ্মাণ বোৰ্ড গঠন কৰা, (৭) চৰকাৰী চাকৰিৰ নিম্নতম বয়স বৰ্তমান ২৫ ৰপৰা ৩০ বছৰলৈ বৃদ্ধি কৰা, ইত্যাদি। তদুপৰি কংগ্ৰেছৰ সৰ্বভাৰতীয় নীতিৰ লগত খাপ খুৱাই অসম চৰকাৰে একোটা পৰিয়ালে ৰাখিব পৰা মাটিৰ সৰ্বোচ্চ সীমা আগৰ ৭৫ বিঘাৰপৰা ৫০ বিঘালৈ হ্ৰাস কৰিবলৈ প্ৰস্তাৱ কৰিছে আৰু আগন্তুক বাজেট অধিবেশনত এই বিষয়ে বিল উত্থাপন কৰা হ'বও বুলি ঘোষণা কৰিছে। তাৰ লগতে চহৰীয়া সম্পত্তিৰ সৰ্বোচ্চ সীমা নিৰূপণ কৰি আন এখন বিলো উত্থাপন কৰা হ'ব।

শুনাত এই আটাইবোৰ প্ৰস্তাৱেই অতি ভাল প্ৰস্তাৱ। অৱশ্যে তাৰে কেইটামান বিষয়ে আৰু গভীৰভাৱে চিন্তা কৰি চোৱাৰ প্ৰয়োজন আছে। উদাহৰণ স্বৰূপে, উন্নয়নমূলক কাম-কাজৰ দায়িত্ব মহকুমা পৰিষদলৈ হস্তান্তৰ কৰি ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ যি প্ৰস্তাৱ কৰা হৈছে, তাৰ কাৰ্য্যকাৰিতা সম্পৰ্কে বহুতৰ মনত যুক্তি-সংগত সন্দেহৰ উদ্ৰেক হৈছে। মহকুমাৰ পৰিষদৰ কাম-কাজ সম্পৰ্কে যিসকল লোকৰ প্ৰত্যক্ষ অভিজ্ঞতা আছে, তেওঁলোকে জানে যে মহকুমা পৰিষদৰ বৰ্তমান ৰূপত প্ৰচুৰ অপচয় আৰু ৰাজনৈতিক দুৰ্নীতিৰ অৱকাশ আছে। আগতে সেইবোৰ অনুষ্ঠানত থকা অজস্ৰ ছিদ্ৰ-পথ বন্ধ নকৰি তাত টকা ঢালিবলৈ গ'লে ৰাজহুৱা ধন নৰ্দমাত উটাই দিয়াৰ বাহিৰে আন একো নহ'ব। সেইদৰে মাটিৰ সৰ্বোচ্চ সীমা নিৰূপণ আইনখন কেৱল পাছ কৰিলেই নহ'ব; সেই আইন কঠোৰভাৱে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থাও লব লাগিব। এই ক্ষেত্ৰত অতীতৰ অভিজ্ঞতা অতিশয় হতাশাজনক।

শ্ৰীশৰৎ সিংহই নিজৰ চৰকাৰক সমাজবাদী চৰকাৰ বুলি ঘোষণা কৰিছে। কিন্তু তেওঁ বিভিন্ন সময়ত কৰা বিভিন্ন উক্তিৰ দ্বাৰা বৈজ্ঞানিক সমাজবাদ সম্পৰ্কে তেওঁৰ কোনো স্পষ্ট ধাৰণাৰ প্ৰমাণ পোৱা নাযায়। বৰং তেওঁৰ কোনো কোনো উক্তিয়ে (উদাহৰণ স্বৰূপে ভূমি সংস্কাৰত আৰু উৎপাদন বৃদ্ধিৰ ওপৰত দিয়া অগ্ৰাধিকাৰ) শ্ৰীসিংহই সমাজবাদ-বিৰোধী মনোভাৱৰহে পৰিচয় দিয়ে। ঘূৰণীয়া ফুটাত যেনেকৈ চাৰি-চুকীয়া গজাল সুমুৱাব নোৱাৰি, তেনেকৈ পুঁজিবাদী বা অৰ্ধ-সামন্তবাদী সমাজ-ব্যৱস্থাতো সমাজবাদী নীতি প্ৰয়োগ কৰিব নোৱাৰি। শ্ৰীসিংহই সমাজৰ মৌলিক কাঠামো পৰিবৰ্তন নকৰাকৈ কেনেকৈ সমাজবাদ প্ৰতিষ্ঠা কৰিব খুজিছে তাৰ প্ৰতি দেশৰ চিন্তাশীল লোকসকলে সতৰ্ক দৃষ্টি ৰাখিছে।

শ্ৰীসিংহৰ আৰু এটা কথাই ৰাজ্যখনৰ জনসাধাৰণৰ মনত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰা দেখা গৈছে। সেইটো হৈছে কেন্দ্ৰীয় চৰকাৰ বা কেন্দ্ৰীয় নেতৃবৰ্গৰ ওপৰত তেওঁৰ প্ৰয়োজনাতিৰিক্ত নিৰ্ভৰশীলতা। তেওঁ ভাৰতৰ এখন স্বায়ত্ত-শাসিত পূৰ্ণাঙ্গ ৰাজ্যৰ মুখ্যমন্ত্ৰী। তেওঁৰ চিন্তা আৰু কাৰ্য্য-কলাপত যাতে ৰাজ্যখনৰ পূৰ্বৰ মৰ্য্যাদা ৰক্ষিত হয় আৰু স্বল্প-নিৰ্ভৰশীলতা ফুটি উঠে সেইটো দেখিবলৈ ৰাইজে আশা কৰে। কিন্তু নিজ অনিচ্ছাকৃতভাৱে হ'লেও তেওঁ তাৰ এটা বিপৰীত ধাৰণাৰ সৃষ্টি কৰিছে। ই সময়ত তেওঁৰ কাৰণে এটা জটিল মনস্তাত্ত্বিক সমস্যাৰ সৃষ্টি কৰিব পাৰে। দীৰ্ঘকাল ধৰি অসমৰ মানুহে অনুভৱ কৰি আহিছে যে কেন্দ্ৰীয় চৰকাৰৰ স্বেচ্ছাকৃত অৱহেলা আৰু ঔপনিবেশিক মনোভাৱৰ ফলত অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত ভাৰতৰ বেছিভাগ অঞ্চলতকৈ অসম পিচ পৰি আছে। শ্ৰীসিংহ কেন্দ্ৰীয় নেতৃবৰ্গৰ বিশেষ প্ৰীতি-ভাজন আৰু বিশেষ বিশ্বাসভাজন ব্যক্তি। কিন্তু সেই প্ৰীতি যদি তেওঁক মুখ্যমন্ত্ৰী পতাতেই শেষ হৈ যায়, আৰু সেই প্ৰীতিৰ সম্পৰ্কৰ দ্বাৰা যদি শ্ৰীসিংহই কেন্দ্ৰীয় চৰকাৰৰপৰা অসমৰ ন্যায্য প্ৰাপ্যবোৰ আদায় কৰিব নোৱাৰে, তেন্তে কেন্দ্ৰৰ প্ৰীতিৰ তেওঁৰ কাৰণে কিবা অৰ্থ থাকিলেও অসমৰ মানুহৰ কাৰণে বিশেষ একো অৰ্থ নাথাকিব। কেৱল সদিচ্ছা বা সমাজবাদৰ মন্ত্ৰোচ্চাৰণৰ দ্বাৰাই অসমৰ দুখীয়া ৰাইজৰ একো উন্নতি নহয়। উন্নতিৰ কাৰণে পুঁজি বিনিয়োগ কৰিব লাগিব আৰু সেই পুঁজি আহিব লাগিব কেন্দ্ৰীয় চৰকাৰে অসমক দিবলগীয়া অসমৰ ন্যায্য অংশৰ পৰা। শ্ৰীসিংহই যদি সেইখিনি আদায় কৰিবৰ কাৰণে অসমত এটা অনুকূল মানসিক বাতাবৰণ সৃষ্টি কৰিব খোজে তেন্তে তেওঁ (১) অসমৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰপৰাৰ বিশেষ অৰ্থ-মঞ্জুৰী আদায় কৰিব লাগিব, (২) বৰ্ধিত হাৰত তেলৰ ৰয়েল্টি আদায় কৰিব লাগিব, (৩) চাহৰ ৰপ্তানি-কৰৰ ন্যায্য অংশ আৰু শোধিত তেলৰ বিক্ৰীকৰ অসমৰ কাৰণে আদায় কৰিব লাগিব, (৪) ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰক নিজৰ হাতলৈ নিবলৈ বাধ্য কৰিব লাগিব (৫) ৰেল-পথৰ ব্ৰড-গজ লাইন অন্ততঃ গুৱাহাটীলৈকে সদ্যহতে সম্প্ৰসাৰিত কৰাব লাগিব, আৰু (৬) অসমত ইতিমধ্যে স্থাপিত হোৱা আৰু নতুনকৈ স্থাপিত হ'ব লগা আটাইবোৰ কেন্দ্ৰীয় উদ্যোগত শতকৰা আশীভাগ চাকৰিত অসমৰ লোকক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

কোনো চৰকাৰৰ কাম-কাজৰ বিষয়ে ৰায় দিবলৈ মাত্ৰ দুটা মাহ যথেষ্ট সময় নহয়। কিন্তু এই দুটা মাহতে শ্ৰীসিংহৰ চৰকাৰে ৰাইজৰ মনত যি নতুন প্ৰত্যাশা জগাই তুলিছে, আগৰ কোনো চৰকাৰে সিমানখিনি কৰিব পৰা নাছিল। এতিয়া এই প্ৰত্যাশা পূৰণ কৰিবলৈ হ'লে আদৰ্শবাদিতাৰ লগত বাস্তৱ বুদ্ধিৰ, সততাৰ লগত দক্ষতাৰ আৰু সৎ-উদ্দেশ্যৰ লগত মেধা বা চিন্তা-শক্তিৰ সংযোগ সাধন হ'ব লাগিব। প্ৰথমবিধ বস্তু সিংহৰ চৰকাৰৰ প্ৰচুৰ পৰিমাণে আছে বুলি আমি প্ৰমাণ পাইছোঁ; দ্বিতীয় বিধ বস্তু কিমান আছে তাকে চাবলৈ আমি অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছোঁ।

মদ নিবাৰণ

প্ৰায় তিনিবছৰমানৰ আগতে ৰাছিয়ান কমিউনিষ্ট পাৰ্টিৰ বাৰ্ষিক প্ৰতিবেদনত মিঃ ব্ৰেঝনেভে মন্তব্য কৰিছিল যে ৰাছিয়ান খেতিয়কসকলৰ মাজত মদ খোৱাৰ মাত্ৰা বাঢ়ি যোৱাৰ ফলত সেই দেশত শস্যৰ উৎপাদন হ্ৰাস হ'বলৈ আৰম্ভ কৰিছে। ৰাছিয়াৰ এই অভিজ্ঞতাৰপৰাই দেখা যায় যে কোনো এখন দেশৰ অৰ্থনৈতিক বিকাশ বা উৎপাদন বৃদ্ধি কেৱল সেই দেশৰ উৎপাদন-ব্যৱস্থা আৰু পুঁজি-বিনিয়োগৰ ওপৰতে নিৰ্ভৰ নকৰে; পৰোক্ষভাৱে সি জনসাধাৰণৰ স্বভাৱ-চৰিত্ৰ, শৃঙ্খলাবোধ, স্বাস্থ্য আৰু শ্ৰম-ক্ষমতাৰ ওপৰতো নিৰ্ভৰশীল। পৰিকল্পিত অৰ্থনীতিত সেই কাৰণে অৰ্থনৈতিক বিকাশৰ প্ৰাথমিক বা মৌলিক লক্ষ্যসমূহৰ উপৰিও স্বাস্থ্য, পুষ্টি আৰু শিক্ষা আদিৰ দৰে আনুষঙ্গিক বিষয়বোৰৰ ওপৰতো সমানে গুৰুত্ব দিয়া হয়।

অসমত আজি বহু বছৰ ধৰি আংশিকভাৱে মদ নিবাৰণী আইন বলবৎ হৈ আছে; অৰ্থাৎ ৰাজ্যখনৰ কেইখনমান জিলাত মদৰ প্ৰচলন আইনৰ দ্বাৰা নিষিদ্ধ কৰা হৈছে, কিন্তু আন কেইখনমান জিলাত সি সম্পূৰ্ণৰূপে অবাৰিত। কিন্তু এই কথা প্ৰত্যেকজন মানুহেই জানে যে মদ-নিবাৰণী আইন ভেকো-ভাওনাৰ বাহিৰে আন একো নহয়। 'শুষ্ক' আৰু 'সিক্ত' নিৰ্বিশেষে অসমৰ সকলো অঞ্চলতে অবাধ গতিৰে মদৰ ব্যৱসায় চলি আছে আৰু মদৰ প্ৰচলন দিনে দিনে আগতকৈ বৃদ্ধি পাইছে। কিন্তু মদ-ব্যৱসায়ৰ ক্ষেত্ৰত চৰকাৰৰ এটা বলিষ্ঠ আৰু বাস্তৱবাদী নীতিৰ অভাৱত অসমত চোৰাং মদৰ প্ৰচলন ইমান বেছিকৈ বৃদ্ধি পাইছে যে সি এটা ডাঙৰ সামাজিক আৰু অৰ্থনৈতিক সমস্যাত পৰিণত হৈছে। কোনোবাই যদি অসমৰ বাতৰি কাকতত মাত্ৰ এটা বছৰত প্ৰকাশিত হোৱা স্থানীয় বাতৰিবোৰ বিশ্লেষণ কৰি চায়, তেতিয়া দেখা যাব যে তেনেবোৰ বাতৰিৰ এটা বুজন অংশৰ বিষয়-বস্তু হ'ল অসমৰ গ্ৰামাঞ্চলত চোৰাং মদৰ অবাধ প্ৰচলন আৰু তাৰপৰা উদ্ভৱ হোৱা নানা সামাজিক অশান্তি। একালৰ শান্তিপূৰ্ণ হাজাৰ হাজাৰ গাঁৱত চোৰাং মদৰ অবাধ প্ৰচলনে এক প্ৰচণ্ড বিভীষিকাৰ সৃষ্টি কৰিছে; কিন্তু যিহেতু এই অৱস্থাৰ প্ৰতি চৰকাৰ সম্পূৰ্ণ নিৰ্বিকাৰ আৰু উদাসীন, সেই কাৰণে মানুহে ইয়াক আধুনিক জীৱনৰ এক দুৰাৰোগ্য ব্যাধি স্বৰূপে অভিশাপ বুলি মানি লবলৈ বাধ্য হৈছে।

কিন্তু চৰকাৰৰ এই উদাসীনতা মূৰ্খতাৰ নামান্তৰ মাত্ৰ। চোৰাং মদৰ বিপুল প্ৰচলনে কেৱল যে একোজন ব্যক্তি বা পৰিয়ালকহে ধ্বংস কৰিছে এনে নহয়, ই সামগ্ৰিকভাৱে দেশৰ অৰ্থনীতিৰ ওপৰতো ডাঙৰ আঘাত হানিছে। ৰাছিয়াৰ নিচিনাকৈ আমাৰ দেশতো পৰিসংখ্যা সংগ্ৰহৰ উন্নত ব্যৱস্থা থকা হ'লে নিৰ্ভুলভাৱে এই কথা প্ৰমাণ কৰিব পৰা হ'লহেঁতেন যে অসমৰ গ্ৰামাঞ্চলত চোৰাং মদৰ অবাধ আৰু বিপুল প্ৰচলনে খেতিয়ক ৰাইজৰ স্বাস্থ্য নষ্ট কৰি আৰু কৰ্ম-ক্ষমতা হ্ৰাস কৰি শস্য উৎপাদনো নিশ্চয় যথেষ্ট পৰিমাণে ব্যাহত কৰিছে।

কিন্তু স্ব-বিৰোধী হ'লেও এই কথা দুখেৰে সৈতে স্বীকাৰ কৰিব লগা হৈছে যে চোৰাং মদৰ এই অবাধ আৰু বিপুল প্ৰচলন সমাজৰ কাৰণে অভিশাপ বুলি প্ৰমাণিত হৈছে যদিও তাৰ প্ৰতিকাৰ কিন্তু আইনৰ দ্বাৰা মদ নিবাৰণ নহয়। আইনৰ দ্বাৰা মদ-নিবাৰণৰ চেষ্টা পৃথিবীৰ কোনো দেশতে কেতিয়াও সফল হোৱা নাই, ভৱিষ্যতলৈকো হোৱাৰ আশা নাই। আমেৰিকা যুক্তৰাষ্ট্ৰত আইনৰ দ্বাৰা মদ নিবাৰণৰ চেষ্টা কিভাৱে এক

বিৰাট ব্যৰ্থতা আৰু অভূতপূৰ্ব সামাজিক সমস্যাত পৰ্য্যবসিত হৈছিল সি আজি ইতিহাসত পৰিণত হৈছে। ভাৰতবৰ্ষত চৰকাৰে সমস্ত শক্তি প্ৰয়োগ কৰি বা প্ৰয়োগ কৰা যেন দেখুৱাই ক'লা বজাৰ বন্ধ কৰিব পৰা নাই, খাদ্য-বস্তু ভেজাল কৰা ব্যৱসায় বন্ধ কৰিব পৰা নাই, প্ৰশাসন আৰু ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি বন্ধ কৰিব পৰা নাই; তেনে স্থলত বহু মানুহৰ সহজাত প্ৰবৃত্তিৰ লগত সুৰা-শক্তিৰ নিচিনা এটা অভ্যাস আইনৰ দ্বাৰা বন্ধ কৰিবলৈ কোনো চৰকাৰৰ সাধ্য নাই। মদ-নিবাৰণৰ এই ভেকো-ভাওনাৰ মুঠ পৰিণাম এয়েই হৈছে যে ইয়াৰ ফলত (১) চৰকাৰে কোটি কোটি টকাৰ ৰাজহ হেৰুৱাইছে, (২) আবকাৰী বিভাগক অকল্পনীয় দুৰ্নীতিৰ পঙ্কত নিমজ্জিত হ'বলৈ সুবিধা দিয়া হৈছে, (৩) চৰকাৰী ৰাজকোষৰ প্ৰাপ্য ধন হাজাৰ হাজাৰ অসৎ চোৰাং ব্যৱসায়ীয়ে হস্তগত কৰিছে, আৰু (৪) মদৰ ব্যৱসায়ৰ ওপৰত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নথকাৰ ফলত মদৰ নামত নানা বিষাক্ত বস্তু খাই শ শ মানুহে প্ৰাণ হেৰুৱাইছে আৰু হাজাৰ হাজাৰ মানুহ চিৰকাললৈ ৰুগ্ন আৰু ঘুণীয়া হৈছে।

মদ-নিবাৰণৰ এই ব্যৰ্থতা উপলব্ধি কৰি এখন এখনকৈ ভাৰতৰ প্ৰায়বোৰ ৰাজ্যই মদ-নিবাৰণী আইন উঠাই দিছে। ইতিমধ্যে কেৰালা চৰকাৰে ১৯৬৭ চনত আৰু মহীশূৰে ১৯৬৮ চনতেই মদ নিবাৰণী আইন তুলি লৈছে। যোৱা কিছুদিন ধৰি অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডু ৰাজ্যতো মদৰ প্ৰচলনৰ ওপৰত সকলো চৰকাৰী নিষেধাজ্ঞা উঠাই লোৱা হৈছে। উত্তৰ প্ৰদেশ, বিহাৰ, উৰিষ্যা, পশ্চিম বঙ্গ আৰু পঞ্জাবেও ক্ৰমে মদ নিবাৰণী আইন সম্পূৰ্ণভাৱে উঠাই লোৱাৰ ফালে অগ্ৰসৰ হৈছে। এতিয়া সমগ্ৰ ভাৰতৰ ভিতৰত একমাত্ৰ গুজৰাটৰ বাহিৰে কোনো এখন ৰাজ্যতেই মদ নিবাৰণী আইন সম্পূৰ্ণ কাৰ্য্যকৰী হৈ থকা নাই। গুজৰাটতো মদ-নিবাৰণীৰ এই ভণ্ডামি বা প্ৰহসন আৰু কিমান দিন চলাই থাকিব পাৰে তাৰ কোনো নিশ্চয়তা নাই। ভাৰতীয় সংবিধানে মদ নিবাৰণক Directive Principle বা নিৰ্দেশাত্মক সূত্ৰাৱলীৰ অন্তৰ্ভুক্ত কৰাৰ ২২ বছৰৰ পিচত এই হ'ল দেশৰ অৱস্থা।

অসমত আইনৰ দ্বাৰা মদ-নিবাৰণৰ সমস্ত প্ৰচেষ্টা কেৱল যে চূড়ান্তভাৱে ব্যৰ্থই হৈছে এনে নহয়; তাৰ লগে লগে ই ব্যাপক দুৰ্নীতিৰ জন্ম দিয়াৰ উপৰিও অনিয়ন্ত্ৰিত চোৰাং মদৰ নামত নানা বিষাক্ত বস্তুৰ অবাধ প্ৰচলনৰ সুবিধা দি জনসাধাৰণৰ স্বাস্থ্য আৰু কৰ্ম-ক্ষমতাৰ দ্ৰুত অৱনতি ঘটাইছে। হিচাব কৰি দেখা গৈছে যে মদ-নিবাৰণী আইন উঠাই দি চৰকাৰী নিয়ন্ত্ৰণত মদৰ ব্যৱসায় পৰিচালনা কৰিলে অসম চৰকাৰৰ বছৰি আঠ কোটি টকা ৰাজহ আয় হয়। সম্প্ৰতি অসম চৰকাৰৰ সমুখত যি চৰম অৰ্থনৈতিক সঙ্কটে দেখা দিছে, তেনে অৱস্থাত এই আঠ কোটি টকাৰ উপাৰ্জনো উলাই কৰিব লগা কথা নহয়। গতিকে অসম চৰকাৰে সকলো ধৰণৰ ভণ্ডামি আৰু দুৰ্বল-চিত্ততা পৰিহাৰ কৰি মদ নিবাৰণৰ বিষয়টো বাস্তৱবাদী দৃষ্টিভঙ্গীৰে পুনৰ পৰীক্ষা কৰি চোৱাৰ সময় হৈছে বুলি আমি ভাবোঁ। যদি ভাৰতৰ অন্যান্য ৰাজ্যবোৰৰ আৰ্হি অনুসৰণ কৰি মদ-নিবাৰণী আইন উঠাই দিবলৈ অসম চৰকাৰে মনত সাহ গোটাব নোৱাৰে, তেন্তে মদ-নিবাৰণৰ ফলত অসম চৰকাৰে হেৰুৱাব লগা ৰাজহৰ শতকৰা এশ ভাগেই কেন্দ্ৰীয় চৰকাৰে ক্ষতি-পূৰণ হিচাবে দিব লাগিব বুলি দাবী কৰিব লাগিব, অন্যথাই আৰু এটা দিনো পলম নকৰি মদ-নিবাৰণী আইন উঠাই দি মদৰ ব্যৱসায় সম্পূৰ্ণ চৰকাৰী নিয়ন্ত্ৰণৰ অধীনলৈ আনিব লাগিব। তাৰ লগে লগে চোৰাং মদৰ ভয়ঙ্কৰ অভিশাপৰ পৰা অসমৰ লাখ লাখ মানুহক মুক্ত কৰাটোও চৰকাৰৰ অন্যতম অপৰিহাৰ্য্য কৰ্তব্য।

মাটিহীনৰ কাৰণে মাটি

ভাৰতবৰ্ষত সম্পূৰ্ণ মাটিহীন বা নামমাত্ৰ মাটি থকা খেতিয়কৰ সংখ্যা শতকৰা প্ৰায় ৬০ জন। দেশৰ সৰ্বমুঠ কৃষিযোগ্য মাটিৰ শতকৰা মাত্ৰ ৭.৬ ভাগ মাটি এই ৬০ জন লোকৰ ভাগত পৰিছে। আনহাতে গাইপতি ১০০ বিঘা বা তাতোকৈ বেছি মাটি থকা শতকৰা মাত্ৰ ২ ভাগ ধনী খেতিয়কে দখল কৰি ৰাখিছে সৰ্বমুঠ কৃষিযোগ্য মাটিৰ শতকৰা প্ৰায় ২৫ ভাগ মাটি। ভাৰতৰ সমগ্ৰ কৃষি-ব্যৱস্থা যে নগ্ন আৰু নিৰ্মম শোষণৰ ওপৰত প্ৰতিষ্ঠিত, সেই কথা প্ৰমাণ কৰিবলৈ ইয়াতকৈ আৰু বেছি কথা ক'বৰ দৰকাৰ নাই।

কংগ্ৰেছ চৰকাৰে যোৱা ২৫ বছৰ ধৰি প্ৰগতিশীল ভূমি-সংস্কাৰৰ কথা মুখেৰে কৈ আহিছে, বা ভোটৰ আশাত ৰাইজক প্ৰতাৰণা কৰিবলৈ দুই এখন আইনো পাছ কৰি দেখুৱাইছে, কিন্তু সেইবোৰ আইন কাৰ্য্যকৰী কৰিবলৈ বিন্দুমাত্ৰ আন্তৰিকতা দেখুওৱা নাই। সত্যৰ খাতিৰত এই কথা স্বীকাৰ কৰিব লাগিব যে ভূমি-ব্যৱস্থাৰ প্ৰগতিশীল সংস্কাৰ সাধন কৰিবলৈ দেশত যি এটা Compulsion বা বাধ্য-বাধকতাৰ বাতাবৰণ সৃষ্টি কৰা হৈছে, তাৰো সমস্ত কৃতিত্ব বাওঁ-পন্থী ৰাজনৈতিক দলবোৰৰহে প্ৰাপ্য। কংগ্ৰেছে নিজে আগবাঢ়ি আহি ভূমি-সংস্কাৰৰ কাৰণে কোনো আন্দোলনৰ সূচনা কৰা নাই। অসমত ১৯৫৫ চনতেই সৰ্বপ্ৰথমে চিলিং আই প্ৰণয়ন কৰি ১৯৫৬ চনত তাক বিধান সভাত পাছ কৰা হয়; কিন্তু তাক কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা হাতত লোৱা হয় ১৯৫৯ চনৰপৰাহে। চিলিং আইন কাৰ্য্যকৰী কৰিবলৈ এনেভাৱে অনাৱশ্যক পলম কৰাৰ একমাত্ৰ উদ্দেশ্য হ'ল কংগ্ৰেছৰ প্ৰধান পৃষ্ঠপোষক ধনী খেতিয়ক আৰু অনুপস্থিত মাটি-গিৰীসকলক বেনামী হস্তান্তৰ, বিক্ৰী আৰু নথি-পত্ৰ জাল কৰিবলৈ সুবিধা দিয়া। ১৯৫৬ চনৰ চিলিং আইন অনুসৰি অসমত প্ৰায় দুই লাখ সত্তৰ হাজাৰ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছিল; কিন্তু দুখীয়া খেতিয়কৰ মাজত বিতৰণ কৰা হ'ল মাত্ৰ দুহাজাৰ বিঘা।

জোৰ পুৰি হাত পোৰাৰ অৱস্থা হোৱা দেখি কংগ্ৰেছে এইবাৰ নতুনকৈ ভূমি-সম্পৰ্কৰ সংস্কাৰ সাধন কৰাৰ আগ্ৰহ ব্যক্ত কৰিছে। ইয়াকে কেন্দ্ৰ কৰি সমগ্ৰ দেশ-ব্যাপী যি প্ৰচণ্ড বিতৰ্কৰ সূচনা হৈছে, বাতৰি কাকতৰ যোগেদি ৰাইজে সেইবোৰ কথা নিশ্চয় গম পাইছে। আমি ইয়াত কেৱল অসমৰ ভূমি-সমস্যা আৰু অসম চৰকাৰৰ প্ৰস্তাৱিত চিলিং আইনৰ বিষয়েহে চমুকৈ আলোচনা কৰিব খুজিছোঁ।

অসম চৰকাৰে বিধান সভাৰ আগন্তুক অধিবেশনত এখন নতুন চিলিং আইন উত্থাপন কৰিব বুলি ঘোষণা কৰিছে। চূড়ান্ত ৰূপত আইনখন কিভাৱে গৃহীত হয় সেই বিষয়ে সবিশেষ নজনাকৈ তাৰ ওপৰত এতিয়াই কোনো মন্তব্য কৰা সম্ভৱ নহয়। কিন্তু সেই সম্পৰ্কে যিবোৰ চৰকাৰী সৰৱ চিন্তা ইতিমধ্যে প্ৰকাশিত হৈছে, তাৰ ওপৰতে ভিত্তি কৰি দুই-এটা আগতীয়া মন্তব্য কৰা অসম্ভৱ নহয়। অসমৰ ১৯৫৬ চনৰ চিলিং আইন আৰু ১৯৭১ চনৰ সংশোধিত চিলিং আইনখনৰ তুলনাত প্ৰস্তাৱিত নতুন আইনখনৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য থাকিব বুলি জানিব পৰা গৈছে। প্ৰথমতে, আগৰ ১৫০ বিঘা আৰু ৭৫ বিঘাৰ তুলনাত এইবাৰ প্ৰতি পৰিয়ালে ৰাখিব পৰা মাটিৰ সৰ্বোচ্চ সীমা ৫০ বিঘাত ধাৰ্য্য কৰা হৈছে। দ্বিতীয়তে চিলিং আইনক ফাকি দিবৰ কাৰণে কোনো মানুহেই যাতে মাটিৰ বিক্ৰী বা বেনামী হস্তান্তৰ আদি কৌশলৰ আশ্ৰয় লব নোৱাৰে— তাৰ কাৰণে প্ৰস্তাৱিত নতুন চিলিং আইনখন ১৯৭০ চনৰ মাৰ্চ মাহৰপৰা বলবৎ কৰিবলৈ মনস্থ কৰা হৈছে। প্ৰস্তাৱিত আইনখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যৱস্থা হ'ল এইটোৱেই যে এইবাৰ নতুন আইনখনৰ সহায়েৰে যিখিনি উদ্বৃত্ত মাটি উদ্ধাৰ কৰা হ'ব — সেই মাটি কোনো ব্যক্তিগত মানুহৰ নামত পট্টন

নিদি চৰকাৰী কৰি ৰখা হ'ব, আৰু সেই মাটিত খেতি কৰিবৰ কাৰণে প্ৰকৃত মাটিহীন খেতিয়কক সংগঠিত কৰি ঠায়ে ঠায়ে কেতবোৰ কৃষি পাম নিগম (Agricultural Farming Corporation) গঠন কৰা হ'ব। এই শেষোক্ত ব্যৱস্থাটো সঁচাকৈয়ে এটা বৈপ্লৱিক ব্যৱস্থা, আৰু তাক যদি সঠিক আৰু সফলভাবে কাৰ্যকৰী কৰিব পৰা হয়, তেন্তে মাটিৰ সামাজিকীকৰণৰ ক্ষেত্ৰত সি প্ৰকৃততেই এটা উল্লেখযোগ্য অগ্ৰৱৰ্তী পদক্ষেপ হ'ব।

কিন্তু ইয়াৰ মাজতে বহুতো 'যদি' আৰু 'কিন্তু' আছে। প্ৰথমতে, নতুন চিলিং আইনৰ সহায়েৰে কিমান মাটি উদ্ধাৰ কৰিব পৰা যাব সেই কথাই ধৰা যাওক। কথিত আছে যে ফাঁকি তিনি প্ৰকাৰৰ; তাৰে এবিধ ফাকি হ'ল Statistical lie বা পৰিসংখ্যাৰ ফাকি। চৰকাৰী পৰিসংখ্যাৰ ওপৰত এনেয়েই মানুহৰ আস্থা নাই; তাতে আকৌ আমাৰ দেশত চৰকাৰী পৰিসংখ্যা সংগ্ৰহৰ ব্যৱস্থা এতিয়াও ইমান প্ৰিমিটিভ্ অৱস্থাত আছে যে তাৰ ওপৰত ভিত্তি কৰি কৰা কোনো পৰিকল্পনা বা কাৰ্য্য-ব্যৱস্থাই ৰাইজক কেতিয়াও আশ্বস্ত কৰিব নোৱাৰে। আনুমানিক চৰকাৰী হিচাবৰপৰা দেখা যায় যে প্ৰস্তাৱিত চিলিং আইনৰ সহায়েৰে অসমত নতুনকৈ প্ৰায় ৫ লাখ বিঘা মাটি উদ্ধাৰ কৰিব পৰা যাব বুলি আশা কৰা হৈছে। এই হিচাবৰ ভিত্তি হ'ব 'জাতীয় নমুনা সমীক্ষা'ৰ (National Sample Survey) দ্বাৰা সংগৃহীত তথ্য; অসম চৰকাৰৰ নিজস্ব কোনো হিচাব নাই। আমি এই হিচাবটো সম্পূৰ্ণ শুদ্ধ বুলি গ্ৰহণ কৰিবলৈ টান পাইছোঁ। পৰিসংখ্যাৰ ভেল্কিবাজী দেখুৱাই যাতে হাজাৰ হাজাৰ বা আনকি লাখ লাখ বিঘা উদ্ধাৰযোগ্য মাটি গোপন কৰি ৰখা নহয়, তাৰ কাৰণে আমি এতিয়াই চৰকাৰক আগতীয়াকৈ সতৰ্ক কৰি থলোঁ। দ্বিতীয়তে, আগৰখন চিলিং আইনত এনে কিছুমান কৌশলপূৰ্ণ ব্যৱস্থা ৰখা হৈছিল, যাৰ দ্বাৰা বহুতো মানুহে নানা অজুহাতত বহুতো মাটি নিজৰ দখলত ৰাখিবলৈ সুবিধা পাইছিল। উদাহৰণ স্বৰূপে আগৰখন চিলিং আইনত চাহ বাগিচা, বিশেষ কৃষি (Specialised farming) ঔদ্যোগিক আৰু বাণিজ্যিক প্ৰতিষ্ঠানবোৰে ৰাখিব পৰা মাটি, সমবায় কৃষি-পাম, ধৰ্মীয় অনুষ্ঠানৰ মাটি, যান্ত্ৰিক কৃষি-পাম ইত্যাদি বিভিন্ন প্ৰকাৰৰ উদ্দেশ্যত নিয়োজিত মাটিক চিলিং আইনৰ প্ৰয়োগ-পৰিধিৰপৰা বাহিৰত ৰখা হৈছিল। এনেবোৰ বিশেষ উদ্দেশ্যৰ কাৰণে নিশ্চয় কিছু বেছি মাটি দৰকাৰ হ'ব পাৰে, কিন্তু সেই বিশেষ প্ৰয়োজনবোৰক যাতে আইনক ফাকি দিয়াৰ অজুহাত হিচাবে ব্যৱহাৰ কৰা নহয়, তাৰ প্ৰতি চৰকাৰে চোকা নজৰ ৰাখিব লাগিব। সমবায় কৃষি-পাম আৰু অন্যান্য বিশেষ উদ্দেশ্যৰ নামত কোন মানুহে কিমান মাটি আত্মসাৎ কৰি ৰাখিছে, তাৰ প্ৰমাণ বিচাৰি চৰকাৰে বেছি দূৰলৈ নগৈ নিজৰ দলৰ ভিতৰখন সামান্য খুচৰি চালেই হ'ব। আমাৰ দৃঢ় বিশ্বাস যে এনেবোৰ অসৎ উদ্দেশ্য-প্ৰণোদিত ছিদ্ৰ-পথ নৰখাকৈ যদি নতুন চিলিং আইনখন ৰচনা কৰা হয়, তেন্তে চৰকাৰে আশা কৰাতকৈ বহুত বেছি মাটি উদ্ধাৰ কৰিব পৰা যাব।

প্ৰকৃত মাটিহীন লোকৰো নিৰ্ভৰযোগ্য কোনো হিচাব নাই। চৰকাৰৰ আনুমানিক হিচাব মতে অসমত প্ৰায় ৫ লাখ পৰিয়ালক মাটিহীন বুলি গণ্য কৰা হৈছে। এই হিচাবৰ ভিত্তি কি — উচ্চ-পদস্থ আৰু দায়িত্বশীল চৰকাৰী বিষয়াক সুধিও আমি এই প্ৰশ্নৰ একো সদুত্তৰ পোৱা নাই। কেইবছৰমানৰ আগতে অসম চৰকাৰে পঞ্চায়তসমূহৰ দ্বাৰাই মাটিহীন লোকৰ এখন তালিকা কৰোৱাইছিল। কোনো এখন জিলাৰ উপায়ুক্তই কথা-প্ৰসঙ্গত আমাক কৈছিল যে তেওঁৰ জিলাৰ এখন পঞ্চায়তে মাটিহীন লোকৰ যি তালিকা দাখিল কৰিছিল — সি সেই পঞ্চায়ত এলেকাৰ সৰ্বমুঠ অধিবাসীৰ সংখ্যাতকৈয়ো বেছি! সন্দেহ কৰিবলৈ স্থল আছে যে কম-বেছি পৰিমাণে অসমৰ সকলো ঠাইতেই এনে ঘটনা ঘটিছে। এতিয়া এটা কথা শুনা গৈছে যে পঞ্চায়তে প্ৰস্তুত কৰা মাটিহীন লোকৰ তালিকাবোৰ অসম চৰকাৰে ৰাজহ-বিভাগৰ কৰ্মচাৰীৰ দ্বাৰাই নতুনকৈ পৰীক্ষা কৰাব। কিন্তু পঞ্চায়তৰ বিবয়-বৰীয়াসকলতকৈ মণ্ডল-কাননগো আদি কৰ্মচাৰীসকল অধিক বিশ্বাসযোগ্য বুলি ভাবিবলৈ অভিজ্ঞতাই আমাক নকয়। তদুপৰি, বিসকল চতুৰ আৰু সামৰ্থ্যবান লোকে মাটি থকা সত্বেও অধিক মাটিৰ লোভত নিজকে মাটিহীন বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিব,

তেওঁলোকে আমোলাতন্ত্ৰৰ বিভিন্ন স্তৰৰ কৰ্মচাৰীসকলৰপৰা অধিক সহায়-সহানুভূতি লাভ কৰিব; প্ৰকৃত মাটিহীন আৰু দুখীয়া লোকে তেনে সহায় কেতিয়াও নাপায়। এই আটাইবোৰ কথা বিবেচনা কৰি আমি চৰকাৰক পৰামৰ্শ দিব খোজোঁ যে চিলিং আইনৰ সহায়েৰে মাটি উদ্ধাৰ কৰা কাৰ্য্যৰপৰা আৰম্ভ কৰি প্ৰস্তাৱিত কৃষি-পাম নিগমৰ পৰিচালনাত সেই মাটিত খেতি কৰিবলৈ মাটিহীন লোক নিৰ্বাচন কৰি উলিওৱালৈকে এই গোটেই প্ৰছেচ্‌টোৰ বিভিন্ন পৰ্য্যায়ৰ কাম-কাজত চকু ৰাখিবৰ কাৰণে আঞ্চলিক পঞ্চায়ত পৰ্য্যায়ত একোখন সতৰ্কতা-ৰক্ষী কমিটী গঠন কৰি দিয়াৰ কথা চৰকাৰে বিবেচনা কৰি চোৱাটো উচিত হ'ব। চৰকাৰ আৰু ৰাইজ উভয়ৰে প্ৰতিনিধিক লৈ এই কমিটীবোৰ গঠিত হ'ব পাৰে। দেশৰ পুনৰ্গঠন বা সমাজৰ পুনৰ্বিন্যাসৰ কামত জনসাধাৰণক সম্পৃক্ত কৰিব লাগে বুলি চৰকাৰৰ নেতাসকলে মুখেৰে সদায় চিঞৰি থাকে, কিন্তু কামত কেতিয়াও একো নকৰে। আমি দিয়া পৰামৰ্শ অনুসৰি ৰাইজৰ প্ৰতিনিধিৰ দ্বাৰা গঠিত কমিটীবোৰক চিলিং আইন কাৰ্য্যকৰী কৰা আৰু মাটি বিতৰণ কৰা কামত নিয়োজিত কৰিলে চৰকাৰৰ কাম-কাজত ৰাইজক সক্ৰিয় অংশ লবলৈ সুবিধা দিয়া হ'ব। অৱশ্যে এই কমিটীত সদস্য হিচাবে ঠাই পোৱা লোকসকলৰ সততা যেন সন্দেহাতীত হয়, আৰু দলীয় আনুগত্যৰ পুৰস্কাৰ হিচাবে কোনো দুষ্ট আৰু মতলব-বাজ লোকেই যাতে তাত ঠাই নাপায় — এই কথাৰ প্ৰতি চৰকাৰে চোকা নজৰ ৰাখিব লাগিব।

প্ৰস্তাৱিত কৃষি-পাম নিগমৰ বিষয়ে চিন্তা আৰু আলোচনা কৰিব লগা বহু কথাই আছে। কিন্তু সেইবোৰৰ গঠন-তন্ত্ৰৰ বিষয়ে সবিশেষ নজনাকৈ আমি এতিয়াই একো মন্তব্য কৰিব নোখোজোঁ। কিন্তু এই কৃষি-পামবোৰ যাতে আমোলাতন্ত্ৰৰ আৰু এক লীলাভূমিত পৰিণত নহয় বা তাত যোগ দিয়া খেতিয়কসকল এক নতুন ধৰণৰ চাৰ্ফ বা ভূমি-দাসত পৰিণত নহয় — তাৰ প্ৰতি পদে পদে সতৰ্ক দৃষ্টি ৰাখিহে কামত আগবঢ়াটো উচিত হ'ব।

অসমৰ ভূমি-সমস্যা জটিল হৈ উঠাৰ এটা ডাঙৰ কাৰণ হ'ল প্ৰতিদিনে অসমলৈ বব ধৰা বহিৰাগতৰ সোঁত। যি স্থলত লাখ লাখ থলুৱা লোক মাটিহীন হৈ আছে বা প্ৰাকৃতিক দুৰ্যোগ আৰু চৰকাৰী অধিগ্ৰহণৰ ফলত নতুনকৈ মাটিহীন হ'ব ধৰিছে, সেইসকল লোকৰ কিবা এটা সংস্থান হোৱাৰ আগতেই দিনে দিনে হাজাৰ হাজাৰ বহিৰাগত আহি অসম ছানি পেলাইছে। এইসকল লোকৰ ভিতৰত নতুনকৈ অহা নেপালী লোকসকলৰ কথা বিশেষভাৱে উল্লেখযোগ্য। প্ৰায় প্ৰতিদিনে অসমত প্ৰবেশ কৰা এই হাজাৰ হাজাৰ নেপালী লোকে পঙ্গপালৰ দৰে গোটেই অসম ছাটি ধৰি সংৰক্ষিত বনাঞ্চল আৰু পতিত মাটিবোৰ খাই শেষ কৰিছে। বাংলাদেশৰ যুদ্ধৰ সময়ত অসমলৈ অহা শৰণাৰ্থীৰো প্ৰায় দুই লাখ লোক এতিয়াও ঘূৰি যোৱা নাই। খিলঞ্জীয়া নেপালী আৰু বাঙালী লোকসকল অসমীয়া জাতিৰ অবিচ্ছেদ্য অঙ্গ। কিন্তু অসমীয়া জাতি — অৰ্থাৎ অসমৰ চাবেক্ অধিবাসীসকল বাচি থাকিবলৈ হ'লে অসমৰ মাটিৰ ওপৰত মানুহৰ হেঁচা কম হ'ব লাগিব, অৰ্থাৎ বহিৰাগতৰ আগমন বন্ধ হ'ব লাগিব। আমি দাবী কৰিব খোজোঁ যে চিলিং আইনৰ সহায়ত উদ্ধাৰ হোৱা মাটিবোৰ পুনৰ বিতৰণ কৰাৰ আগতে বাংলাদেশৰ শৰণাৰ্থীসকলক স্বদেশলৈ ঘূৰাই পঠাব লাগিব আৰু অসমলৈ বিদেশী নেপালীৰ আগমন সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগিব। ১৯৫০ চনৰ পিচত অসমলৈ অহা কোনো নেপালীয়ে যাতে ইয়াত মাটি নাপায় তাৰো ব্যৱস্থা কৰিব লাগিব। তাকে কৰিবলৈ হ'লে অসমৰ হাজাৰ হাজাৰ বিঘা বনাঞ্চল আৰু পতিত মাটিত এইসকল লোকৰ বে-দখল কঠোৰভাৱে উচ্ছেদ কৰিব লাগিব। থলুৱা লোকে মাটি পোৱাৰ আগতে কোনো বহিৰাগতই যাতে অসমত মাটি পাব নোৱাৰে তাৰ প্ৰতি চকু ৰাখিবলৈ ৰাইজে স্থানীয় পৰ্য্যায়ত একোটা সংগঠন গঢ়ি তুলিব পাৰে। অসম চৰকাৰেও এই কথা মনত ৰখা উচিত হ'ব যে মাটি-বিতৰণৰ ক্ষেত্ৰত থলুৱা মানুহ অন্যায়ভাৱে বঞ্চিত হ'লে ভৱিষ্যতৰ কাৰণে এক বিৰাট সামাজিক সংঘৰ্ষ আৰু অশান্তিৰ বীজ ৰোপণ কৰা হ'ব।

অসমৰ ভাষা-সমস্যা

"All too will bear in mind this sacred principle, that though the will of the majority is in all cases to prevail, that will, to be rightful, must be reasonable; that the majority possess their equal rights, which equal laws must protect, and to violate which would be oppression."

– The first inaugural address : Thomas Jefferson

অসম তথা ভাৰতবৰ্ষত ভাষা-সমস্যাৰ চূড়ান্ত নিষ্পত্তি হ'বলৈ এতিয়াও বাকী আছে। কিছুদিনৰ মূৰে মূৰে পুৰণি বেমাৰ উক্ দি উঠাৰ দৰে ভাষা-সমস্যায়ো মাজে মাজে সঙ্কটজনক ৰূপ ধাৰণ কৰে। অৱশ্যে ভাষা-সমস্যাটোৰ স্বৰূপ সকলো মানুহৰ দৃষ্টিত একে নহয়। ভাষা যিসকল মানুহৰ বাবে ভাবৰ বাহন, জ্ঞান-চৰ্চাৰ অবলম্বন আৰু সভ্যতাৰ নিয়ামক – তেওঁলোকৰ কাৰণে ই ঘাইকৈ এটা বৌদ্ধিক সমস্যা। নিজৰ ভাষাটোৰ অস্তিত্ব কেনেকৈ ৰক্ষা কৰা যায়, কেনেকৈ তাৰ বিকাশ সাধন কৰা যায়, কেনেকৈ তাক উচ্চ চিন্তাৰ উপযোগী বাহন কৰি তোলা যায়— এইবোৰেই হ'ল তেওঁলোকৰ প্ৰধান চিন্তাৰ বিষয়। কিন্তু আন এনে কিছুমান লোক আছে যিসকলৰ হাতত ভাষা-সমস্যাটো এপাট ৰাজনৈতিক অস্ত্ৰৰ বাহিৰে আন একো নহয়। ভাষাৰ প্ৰশ্নটোৱে যে মানুহৰ মনত প্ৰচণ্ড উত্তেজনা আৰু শক্তিশালী আবেগৰ সৃষ্টি কৰিব পাৰে, সেই কথা এইসকল লোকে ভালকৈ জানে; তাৰেই সুবিধা লৈ তেওঁলোকে ছল পালেই ভাষা-সমস্যাটোক ৰাজনৈতিক উদ্দেশ্য-সিদ্ধিৰ কাৰণে – ঘাইকৈ ৰাজনৈতিক প্ৰতিদ্বন্দ্বীক অপদস্থ বা ক্ষমতা-চ্যুত কৰিবৰ কাৰণে ব্যৱহাৰ কৰে। গুণাৰ্ মীৰ্ডালে তেওঁৰ বিখ্যাত 'এচিয়ান ড্ৰামা' গ্ৰন্থত এই বিষয়ে আলোচনা কৰি লিখিছে : "It is the political bosses, working on prejudices, grievances and frustrations, who are often responsible for student unrest at Indian Universities and even more often for communal riots and friction over language problem and state boundaries."

অসম তথা ভাৰতবৰ্ষত ভাষা-সমস্যাটোক বহুবাৰ সঙ্কীৰ্ণ ৰাজনৈতিক উদ্দেশ্য-সিদ্ধিৰ কাৰণে ব্যৱহাৰ কৰা হৈছে। সেই কাৰণে ভাষাৰ প্ৰশ্নটোক কেন্দ্ৰ কৰি উত্তেজনাৰ আভাস দেখিলেই সমাজৰ মঙ্গলকামী আৰু সদিচ্ছা-সম্পন্ন সকলো মানুহেই সুবিধাবাদী আৰু গণ্ডগোল-জীৱী কিছুমান মানুহৰ প্ৰকৃত মতলব্ সম্পৰ্কে হুচিয়াৰ হৈ থকা প্ৰয়োজন।

অৱশ্যে ইয়াৰ অৰ্থ এই নহয় যে নিজৰ ভাষাটোৰ অস্তিত্ব বা ভৱিষ্যত বিকাশৰ কথা চিন্তা কৰি কিছুমান মানুহ আন্তৰিকভাৱেই উত্তেজিত হৈ নুঠে। অসমত এই উত্তেজনাৰ প্ৰধান উৎস হ'ল বাংলা-ভাষী কাছাৰ জিলাখন। ভাষাৰ ভিত্তিত ৰাজ্যসমূহৰ পুনৰ্গঠন কৰাৰ সময়ত এই জিলাখন অসমৰপৰা বাদ দিয়া হ'লে অসমত ভাষা-সমস্যাটোৰ জটিলতা বহুখিনি কমিলহেঁতেন বুলি আশা কৰিব পাৰি। নানা ৰাজনৈতিক কাৰণত সেইটো কৰা নহ'ল। কিন্তু সেইটো কৰিবৰ সময় এতিয়াও পাৰ হৈ যোৱা নাই। সম্ভৱ হ'লে কাছাৰ জিলাখন এতিয়াও অসমৰপৰা বাদ দিয়াটো উচিত বুলি আমি ভাবোঁ। ১৯৬০ চনত অসমৰ চৰকাৰী ভাষাৰ প্ৰশ্নটোৰ সমাধান হৈ যোৱাৰ পিচত শিক্ষাৰ মাধ্যমৰ প্ৰশ্নটোক কেন্দ্ৰ কৰি কাছাৰে সম্প্ৰতি আকৌ এটা নতুন সমস্যাৰ সৃষ্টি কৰিছে। তেওঁলোকে অসমীয়াৰ লগতে বাংলাকো অন্ততঃ কাছাৰ জিলাৰ কাৰণে

শিক্ষাৰ মাধ্যম হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ে গ্ৰহণ কৰিব লাগে বুলি দাবী কৰিছে। ৬ জুন তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউঞ্চিলে এই প্ৰশ্নটো সম্পৰ্কে এটা চূড়ান্ত সিদ্ধান্ত লোৱাৰ কথা আছে, আৰু খুব সম্ভৱ আমাৰ এই লিখা প্ৰকাশ হোৱাৰ আগে আগেই বিশ্ববিদ্যালয়ৰ দ্বাৰা সিদ্ধান্ত গ্ৰহণ কৰা হৈ যাব। গতিকে সেই সম্পৰ্কে আমি ইয়াত কৰা মন্তব্যৰ কোনো অৰ্থ নাথাকিব। তথাপি ৰেকৰ্ডৰ কাৰণে আমি এই বিষয়টো সম্পৰ্কে আমাৰ মতামত ইয়াত ব্যক্ত কৰি ৰাখিব খোজোঁ। ন্যায়-বিচাৰৰ খাতিৰত এই কথা স্বীকাৰ কৰিবই লাগিব যে কাছাৰৰ বাংলা-ভাষী অধিবাসীসকলে নিজৰ মাতৃভাষাৰ যোগেদি শিক্ষালাভ কৰিবলৈ যি দাবী কৰিছে, তাত অযুক্তিকৰ বা আপত্তিজনক কথা একো নাই। কিন্তু আনহাতে এই কথাও সত্য যে যোৱা ডেৰশ বছৰ ধৰি বিভিন্ন সময়ত বাংলা ভাষাই অসমীয়া ভাষাৰ অস্তিত্ব যিভাবে বিপন্ন কৰিবলৈ চেষ্টা কৰি আহিছে, সেই অভিজ্ঞতা স্মৰণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত বাংলা ভাষাকো শিক্ষাৰ অন্যতম মাধ্যম হিচাবে স্বীকৃতি দিবলৈ অসমীয়া মানুহে সাহ কৰিব নোৱাৰে। গোজেই গজালি হোৱাৰ দৰে সময়ত ইয়েই অসমত অসমীয়া ভাষাৰ ন্যায্য আসনৰ প্ৰতি এটা বিপজ্জনক প্ৰত্যাহ্বান হৈ পৰিব পাৰে। গতিকে কাছাৰৰ অধিবাসী সকলৰ ন্যায্য আশা-আকাংক্ষা পূৰণৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ত বাংলাকো শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰাৰ পৰিবৰ্তে অন্য কোনো বিকল্প ব্যৱস্থা গ্ৰহণ কৰাটো উচিত হ'ব।

বাংলা ভাষাৰ বাহিৰে আন কোনো ভাষাই অসমত বিশেষ সমস্যাৰ সৃষ্টি কৰিব পাৰিব বুলি আমি নাভাবোঁ। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালীসকলে এই ক্ষেত্ৰত প্ৰশংসনীয় বাস্তৱবুদ্ধি আৰু পৈণত দৃষ্টি-ভঙ্গীৰ পৰিচয় দিবলৈ আৰম্ভ কৰিছে যেন আমাৰ ধাৰণা হয়। কিন্তু পৰিতাপৰ কথা যে অসমৰ কোনো কোনো জন-গোষ্ঠীয়ে ভাষাৰ প্ৰশ্নটোক মাজে মাজে ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ কাৰণে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰে। লোক-পিয়লৰ সময়ত তেওঁলোকে এবাৰ এটা ভাষাক, আন এবাৰ আন এটা ভাষাক নিজৰ মাতৃভাষা বুলি ঘোষণা কৰে। ইয়াৰ মাজত ভাষা-প্ৰেমতকৈ ৰাজনৈতিক হেঁচা সৃষ্টি কৰাৰ মতলবহে বেছিকৈ ব্যক্ত হয়। ইয়াৰ দ্বাৰা তেওঁলোকৰ কিবা স্থায়ী লাভ হ'ব বুলি আমি নাভাবোঁ। যিবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জন-গোষ্ঠীয়ে কেৱল আবেগৰ বশৱৰ্তী হৈ বা স্বতন্ত্ৰ পৰিচয়ৰ (Identity) সন্ধানত নিজৰ অবিকশিত কথ্য ভাষাবোৰকো শিক্ষাৰ মাধ্যম কৰিবলৈ চেষ্টা কৰিছে, তেওঁলোকে বাস্তৱ-বুদ্ধিৰ পৰিচয় দি এটা কথা মনত ৰখা উচিত যে তেওঁলোকে চিৰকাল নিজৰ চুবুৰি বা মহকুমাৰ চাৰিসীমাতে আবদ্ধ হৈ নাথাকি কৰ্মক্ষেত্ৰৰ সন্ধানত এদিন বৃহত্তৰ অসমলৈ ওলাই আহিবই লাগিব, আৰু তেতিয়া অসমীয়া ভাষাক বাদ দি চলিবলৈ তেওঁলোকৰ কোনো উপায় নাথাকিব। অসমৰ বৌদ্ধিক বিকাশ, সামাজিক সংহতি আৰু সকলো মানুহৰ ব্যৱহাৰিক প্ৰয়োজন— এই সকলো ফালৰপৰা বিবেচনা কৰি অসমত অসমীয়া ভাষাক তাৰ প্ৰাপ্য মৰ্য্যাদা দিবলৈ কোনো মানুহেই অৰাজী হোৱা উচিত নহয়। ইয়াকে কৰিবলৈ হ'লে ভাষা সম্পৰ্কীয় সকলো প্ৰশ্নকে ৰাজনৈতিক স্বাৰ্থ-বুদ্ধিৰ কবলৰপৰা মুক্ত কৰিব লাগিব। একেবাৰে শেহতীয়াকৈ কোনো কোনো নেপালী লোকেও ভাষাৰ দাবীত মাত মতা শুনা গৈছে। এনে দাবীয়ে অসমীয়া সমাজৰ লগত থকা তেওঁলোকৰ প্ৰীতিৰ সম্পৰ্ক ক্ষুণ্ণ কৰাৰ উপৰিও অযথা তেওঁলোকৰ কাৰণে নানা জটিল অসুবিধাৰ সৃষ্টি কৰিব। নেপালী ভাষাৰ দাবীত দাৰ্জিলিঙত নেপালীসকলৰ যি অধিকাৰ, অসমৰ নেপালীসকলৰ সেই অধিকাৰ নাই, — কাৰণ, অসমৰ কাৰণে নেপালী এটা সম্পূৰ্ণ বিদেশী ভাষা। গতিকে সময় থাকোঁতেই তেওঁলোকে এই ভুল পথত আগবঢ়াৰপৰা বিৰত হ'ব বুলি আমি আশা কৰিলোঁ।

সাপ্তাহিক নীলাচল, ১৮৫ সংখ্যা : ৪ জুন, ১৯৭২

অসম যুৱক কংগ্ৰেছৰ সময়োপযোগী কাৰ্য্যসূচী

মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই কয় যে সামাজিক আৰু অৰ্থনৈতিক অন্যায় দূৰীকৰণৰ বাবে যুৱক কংগ্ৰেছৰ কৰ্মীসকলে গ্ৰহণ কৰা কাৰ্য্যসূচীৰপৰা তৎকালেই ফল লাভ নহ'লেও কৰ্মীসকলে পৰম নিষ্ঠা, ধৈৰ্য্য আৰু সাহেৰে এই কাৰ্য্যসূচীত আত্মনিয়োগ কৰিলে ইয়াৰ সুফল লাভৰপৰা তেওঁলোকক কোনেও বিৰত কৰিব নোৱাৰিব।

যোৱা দেওবাৰে গুৱাহাটীৰ কটন কলেজ ইউনিয়ন হলত অসম প্ৰদেশ যুব কংগ্ৰেছৰ 'গাঁৱলৈ যাওঁ বলক' আৰু 'অন্যায় নিৰ্মূল' শীৰ্ষক তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰৰ সামৰণিত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়।

শ্ৰীসিংহই লগতে কয় যে, যুব কংগ্ৰেছৰ এই কাৰ্য্যসূচীৰ বাবে তেওঁলোকে বহুতৰে বক্ৰোক্তি আৰু ভ্ৰূকুটিৰ সন্মুখীন হ'ব পাৰে, কিন্তু সেইবোৰলৈ কাণ নিদি সমাজত চলি থকা অন্যায়ক অন্যায় বুলি দৃপ্তকণ্ঠে ঘোষণা কৰি আৰু অন্যায় দূৰীকৰণৰ বাবে সবল জনমত গঠন কৰি কাৰ্য্যক্ষেত্ৰত অগ্ৰসৰ হ'ব লাগিব।

শ্ৰীসিংহই কয় যে, অসমৰ যুব-সমাজৰ আৰু বিশেষকৈ যুবক কংগ্ৰেছৰ কৰ্মীসকলৰ নিষ্ঠা, সাহ আৰু কাৰ্য্যক্ষমতাৰ ওপৰত তেওঁৰ সম্পূৰ্ণ আস্থা আছে। তেওঁ আশা প্ৰকাশ কৰে যে এক দীৰ্ঘম্যাদী সামাজিক বিপ্লৱৰ আৰম্ভণি হিচাবে যুব কংগ্ৰেছৰ কৰ্মীসকলে তেওঁলোকৰ সঠিক কাৰ্য্যসূচী ৰূপায়িত কৰিব।

মোহন ধাৰিয়াৰ ভাষণ

মুকলি অধিবেশনৰ বিশেষ অতিথি হিচাবে ভাষণ দি কেন্দ্ৰীয় পৰিকল্পনা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী আৰু 'ডেকা তুৰ্কী'সকলৰ অন্যতম নেতা শ্ৰীমোহন ধাৰিয়াই বিস্তৃত তথ্যপাতিৰে দেখুৱাই দিয়ে যে স্বাধীনতাৰ পাচত দেশত বিভিন্ন দিশত একেবাৰেই অগ্ৰগতি লাভ কৰিব পৰা হোৱা নাই বুলিলে ভুল কোৱা হ'ব। দেশে এই কালছোৱাত বাৰুকৈয়ে বিকাশ লাভ কৰিছে। খাদ্য উৎপাদন, ঔদ্যোগিক উৎপাদন, জলসিঞ্চন, গধুৰ যন্ত্ৰপাতি নিৰ্মাণ আদি বাৰুকৈয়ে বৃদ্ধি পাইছে আৰু ভালেমান ক্ষেত্ৰত দেশে এইবোৰ সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰিবলৈও সমৰ্থ হৈছে। শ্ৰীধাৰিয়াই কয় যে, বিশ্বত আণৱিক শক্তিৰ অধিকাৰী যি ১৫ খন দেশ আছে, তাৰ ভিতৰত ভাৰতো অন্যতম। ভাৰতে নীতিৰ পিনৰপৰা আণৱিক শক্তিৰ শান্তিপূৰ্ণ ব্যৱহাৰৰ বাবে জোৰ দি আহিছে মাথোন।

শ্ৰীধাৰিয়াই কয় যে যোৱা ২৫ বছৰে দেশত বিকাশ সম্ভৱপৰ হৈছে যদিও, সামাজিক ন্যায় প্ৰতিষ্ঠা হোৱা নাই। বিকাশেই সামাজিক ন্যায় আনিব নোৱাৰে, ইয়াৰ কাৰণে ভালেখিনি অৰ্থনৈতিক, সামাজিক, আদৰ্শগত অনুশাসনৰ প্ৰয়োজন বুলিও শ্ৰীধাৰিয়াই কয়।

শ্ৰীধাৰিয়াই কয় যে যিখন দেশত ১৫ কোটি মানুহে দিনে গাইপ্ৰতি ৫০ পইচাকৈও আয় কৰিবলৈ নাপায়, যিখন দেশৰ ২৫ কোটি মানুহে দিনে গাইপতি এটকাৰ কমকৈহে ব্যয় কৰিব পাৰে, সেইখন দেশত সামাজিক ন্যায় প্ৰতিষ্ঠিত নহ'লেই নহ'ব।

অসমৰ পিচপৰা অৱস্থাৰ কথা উল্লেখ কৰি শ্ৰীধাৰিয়াই কয় যে, অসমৰ দৰে সম্পদশীল ৰাজ্য এখনে

কেৱল কেন্দ্ৰীয় খণ্ডত বৃহৎ উদ্যোগ প্ৰতিষ্ঠা কৰিলেই অৰ্থনৈতিক উন্নতি অৱশ্যম্ভাৱী বুলি ভাবিলে নহ'ব। তেওঁ আঙুলিয়াই দিয়ে যে বিহাৰত কেন্দ্ৰীয় খণ্ডৰ বাবে ১০০০ কোটি টকা বিনিয়োগ কৰা সত্ত্বেও, সেই ৰাজ্য পিচপৰা হৈয়ে আছে। সেয়ে কৃষি, ক্ষুদ্ৰ উদ্যোগ, হাঁহ-কুকুৰাৰ পাম, পশুপালন, বেচা-কিনা প্ৰতিষ্ঠান আদি যোগে ৰাজ্যৰ অৰ্থনীতি গঢ়ি তুলিব লাগিব।

যুৱ কংগ্ৰেছৰ 'গাৱলৈ যাওঁ ব'লক' ধ্বনি অতি সময়োপযোগী হৈছে বুলি মন্তব্য কৰি শ্ৰীধাৰিয়াই কয় যে নিৰ্বাচনত ৰাইজৰ আগত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ হ'লে, দলৰ কৰ্মী-বাহিনী সু-সংগঠিত আৰু আদৰ্শেৰে সুশিক্ষিত হ'ব লাগিব আৰু দেশৰ পৰিকল্পনাৰ গণতান্ত্ৰিক পৰিকল্পনা সম্পৰ্কে গাঁৱৰ বিপুল জনসাধাৰণক অৱগত কৰিব লাগিব। কংগ্ৰেছ দল এক শাসকৰ দল বা নিৰ্বাচন-জয়ী দল হ'লেই নহ'ব; এই দল যথাৰ্থ সামাজিক বিপ্লৱ আনিব পৰা দল, যথাৰ্থ বিশেষজ্ঞৰ দল হ'ব লাগিব আৰু ইয়াৰ বাবে প্ৰয়োজনীয় নেতৃত্ব যুৱ কংগ্ৰেছে দিব লাগিব। জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে ক'তো কেতিয়াও সমাজবাদ প্ৰতিষ্ঠিত হোৱা নাই বুলিও শ্ৰীধাৰিয়াই কয়।

আঁচনিখন

মুকলি অধিবেশনত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীললিত চন্দ্ৰ দলে আৰু প্ৰবীণ নেতা শ্ৰীবিষ্ণুৰাম মেধিয়েও ভাষণ দিয়ে। অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি শ্ৰীঅপূৰ্ব বৰুৱাই সভাপতিৰ মন্তব্যত যুৱ কংগ্ৰেছৰ প্ৰশিক্ষণ শিবিৰৰ সামৰণিত সন্তোষ প্ৰকাশ কৰে আৰু সকলো প্ৰশাসনীয় অন্যায়ৰ অন্ত পেলাবৰ বাবে চৰকাৰলৈ আহ্বান জনায়। ইয়াৰ আগতে অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীমানবেন্দ্ৰ শৰ্মা, এম-এল-এ-ই সকলোকে আদৰণি জনায়। সমিতিৰ যুটীয়া সম্পাদক শ্ৰীবেণু কলিতাই শলাগৰ শৰাই আগবঢ়ায়।

অসম যুৱক কংগ্ৰেছৰ হৈ সম্পাদক শ্ৰীহিৰণ্য বৰা, এম-এল-এই প্ৰকাশ কৰা এখন আবেদনত কোৱা হৈছে যে এই কাৰ্য্যসূচী মতে অহা ১৫ আগষ্টৰ ভিতৰত ২১ টা উন্নয়ন খণ্ডত এই আঁচনি পৰীক্ষামূলকভাৱে সম্পূৰ্ণ কৰি প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিব। কাৰ্য্যসূচীৰ অধীনত কৰ্মীসকলে গাঁৱে গাঁৱে গৈ গাঁৱলীয়া আমোলাতন্ত্ৰৰ দুৰ্নীতি সম্পৰ্কে, গাঁৱলীয়া মানুহৰ অধিকাৰ সম্পৰ্কে, গাঁৱলীয়া অৰ্থনীতি সম্পৰ্কে, কৃষকক আধুনিক কৃষি-ব্যৱস্থাৰ প্ৰতি আগ্ৰহান্বিত আৰু শিক্ষিত কৰা সম্পৰ্কে, গাঁৱলীয়া নিবনুৱা সমস্যাৰ নিৰ্মূলকৰণ সম্পৰ্কে আৰু গাঁৱৰ বাট-ঘাট নিৰ্মাণত চৰকাৰ তথা গাঁৱৰ যুৱকৰ সহযোগ সম্পৰ্কে প্ৰয়োজনীয় শিক্ষা দান, তথ্য-পাতি গ্ৰহণ কৰিব আৰু আঁচনি ৰূপায়ণৰ কামত অগ্ৰসৰ হ'ব। গোহাৰিখনত লগতে কোৱা হৈছে যে জলসিঞ্চন আৰু বৈদ্যুতিকৰণ, উন্নত বীজ যোগান, ভূমি বিতৰণ, প্ৰাথমিক চিকিৎসাৰ সুযোগ, ন্যায্য কৃষি ঋণ, প্ৰাথমিক শিক্ষাৰ পূৰ্ণ সুযোগ, সামাজিক স্বীকৃতি আৰু যোগাযোগ আৰু যান-বাহনেই গাঁৱলীয়া জনসাধাৰণৰ দৰিদ্ৰতা দূৰীকৰণৰ বাবে নিম্নতম প্ৰতিশ্ৰুতি।

অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ হৈ শ্ৰীভবেন্দ্ৰনাৰায়ণ দত্ত বৰুৱাই এই বিস্তৃত আঁচনিখন যুগুত কৰিছে আৰু এই আঁচনি মতে ৰাজ্যৰ ভিন ভিন জিলাৰ ২১ টা ব্লকত প্ৰাথমিক পৰ্য্যায়ৰ কাম আৰম্ভ হ'ব।

যুৱ কংগ্ৰেছৰ তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰত ৰাজ্যৰ বিভিন্ন ঠাইৰ প্ৰায় দুশ যুৱ-প্ৰতিনিধিয়ে যোগদান কৰে আৰু শিবিৰত অন্যান্যসকলৰ উপৰিও কেন্দ্ৰীয় কোম্পানী পৰিক্ৰমা দপ্তৰৰ উপমন্ত্ৰী শ্ৰীবেদব্ৰত বৰুৱা, ৰাজ্যিক মন্ত্ৰীদ্বয় শ্ৰীহিতেশ্বৰ শইকীয়া আৰু শ্ৰীবিষ্ণুপ্ৰসাদ, সংসদী সদস্য শ্ৰীধৰণীধৰ দাস, শ্ৰীদীনেশ গোস্বামী আৰু শ্ৰীনৃপতিৰঞ্জন চৌধুৰীয়ে ভাষণ দিয়ে। অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়েও শিবিৰত ভাষণ দিয়ে।

সাপ্তাহিক নীলাচল, ১৮৬ সংখ্যা : ২১ জুন, ১৯৭২

দুৰ্নীতি-দমন

দুৰ্নীতিৰ কথা উঠিলেই ইংৰাজীসকলৰ এটা প্ৰবাদ বাক্যৰ কথা মনত পৰে : "বতৰৰ বিষয়ে সকলোৱে মুখেৰে নানা কথা কয়, কিন্তু কামত কোনেও একো নকৰে।" কামত একো নকৰাৰ এটাই মাত্ৰ যুক্তি বা কাৰণ আছে। সেইটো হ'ল এই যে যিসকল লোকৰ হাতত দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ ক্ষমতা আছে, তেওঁলোকে নিজেই দুৰ্নীতিৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত। চৰকাৰী বিষয়াই দুৰ্নীতিমূলক কাম কৰিলে মন্ত্ৰীয়ে তেওঁৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা উচিত; কিন্তু মন্ত্ৰীজন নিজেই যদি সেই দুৰ্নীতিৰ সমান অংশীদাৰ হৈ থাকে, তেন্তে তেওঁ স্বাভাৱিকতেই বিষয়াজনৰ বিৰুদ্ধে একো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। একে আষাৰে ক'বলৈ গ'লে, ভাৰতবৰ্ষত দুৰ্নীতি প্ৰবল বেগেৰে বৃদ্ধি পোৱাৰ অন্যতম ঘাই কাৰণ হ'ল ৰাজনৈতিক দুৰ্নীতি – অৰ্থাৎ চৰকাৰী বিষয়া আৰু ব্যৱসায়ীৰ লগত মন্ত্ৰীৰ গোপন যোগাযোগ। উদাহৰণ হিচাবে ধৰি লওক – যোৱা সাধাৰণ নিৰ্বাচনত এজন প্ৰাৰ্থী ইমান প্ৰবল প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হ'ল যে তেওঁ প্ৰায় ডেৰ লাখ টকা খৰচ কৰিব লগা হ'ল। নিৰ্বাচনত যেনে তেনে নিজিকিলেই নহয়; অথচ ডেৰ লাখ টকা তেওঁৰ নিজৰো নাই, পাৰ্টিয়েও দিব নোৱাৰে। বাধ্য হৈ তেওঁ শৰণাপন্ন হ'ল ঠিকাদাৰ, মহলদাৰ আৰু দোকানদাৰৰ। প্ৰাৰ্থীজন নিৰ্বাচিত হ'ব পাৰিলেই মন্ত্ৰী হোৱাৰ নিশ্চিত সম্ভাৱনা থকা দেখি ঠিকাদাৰ আৰু মহলদাৰেও মুক্ত-হস্তে টকা দিবলৈ আগবাঢ়ি আহিল। কিন্তু তেওঁলোকে বামুণ-গোসাঁইক টকা দান দিয়াৰ দৰে কোনো প্ৰতিদানৰ আশা নাৰাখি মন্ত্ৰীকো টকা এনেয়ে দান দিবনে? তেতিয়াও নিদিয়ে। তেওঁলোকে ঠিকা-ঠুকলি, পাৰ্মিট-লাইচেঞ্চ আৰু কৰ-ৰেহাই আদি বিভিন্ন ৰূপত মন্ত্ৰীৰপৰা প্ৰতিদান আশা কৰিব। কোৱা বাহুল্য মাথোন যে তেওঁলোকে এইবোৰ বস্তু আইনসঙ্গত উপায়েৰে পোৱাৰ আশা থাকিলে মন্ত্ৰীৰ সহায় লোৱাৰ কোনো দৰকাৰ নপৰে; এইবোৰ বস্তু আইন-বহিৰ্ভূত উপায়েৰে পাব লগা হয় কাৰণেই মন্ত্ৰীৰ সহায় হৈ পৰে অপৰিহাৰ্য্য। যিহওক, ব্যৱসায়ীৰ অৰ্থ-সাহায্যেৰে নিৰ্বাচিত হৈ উক্ত ভদ্ৰলোক মন্ত্ৰী হ'ল আৰু লগে লগে আৰম্ভ হ'ল বিপদৰ বন্ধুক প্ৰতিদান দিয়াৰ পৰ্ব। কিন্তু মন্ত্ৰীয়ে তেওঁৰ ব্যৱসায়ী বন্ধুক ঠিকা, লাইচেঞ্চ বা কৰৰ ৰেহাই অকলে দিব নোৱাৰে; তাৰ কাৰণে তেওঁ বিভিন্ন পৰ্য্যায়ৰ বিষয়াসকলৰ সহায় লবলৈ বাধ্য হয়। ঠিক এনেকৈয়ে মন্ত্ৰী, বিষয়া আৰু ব্যৱসায়ীৰ মাজত এটা পাপ-চক্ৰ গঢ়ি উঠে আৰু এই পাপ-চক্ৰক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠে দুৰ্নীতিৰ জটিল জঁট-ধাৰা। বহুত মানুহে সৰল বিশ্বাসত ভাবে যে এদল দুৰ্নীতিপৰায়ণ মন্ত্ৰী ক্ষমতাচ্যুত হৈ তেওঁলোকৰ ঠাইত আন এদল অধিষ্ঠিত হ'লেই দুৰ্নীতিৰ অন্ত পৰিব। কিন্তু ই তেওঁলোকৰ দুৰাশা মাত্ৰ। নতুন যি দল মন্ত্ৰী আহে, তেওঁলোকেও নিৰ্বাচনৰ সময়ত ব্যৱসায়ী আৰু অন্যান্য বিভিন্ন ক্ষমতা-চক্ৰৰ সহায় লবলৈ বাধ্য হয় আৰু সময়ত তেওঁলোকেও নিজৰ পৃষ্ঠপোষকতাপুষ্ট এদল মো-চাহেবৰ দল গঠন কৰি লয়। মন্ত্ৰী সলনি হয়, কিন্তু দুৰ্নীতিৰ প্ৰবাহ হৈ ৰয় অবিৰাম আৰু অপৰিবৰ্তিত। ভাৰতত দুৰ্নীতিৰ বিষয়ে ব্যাপক তদন্ত চলোৱা শান্তনম কমিটীয়ে তেওঁলোকৰ প্ৰতিবেদনত কৈছে—

"There is a widespread impression that failure of integrity is not uncommon among

Ministers and that some Ministers who have held office during the last 16 years have enriched themselves illegitimately obtained good jobs for their sons and relations through nepotism, and have raped other advantages in consistent with any motion of purity in Public life..... We are convinced that ensuring absolute integrity on the part of the Ministers at the Centre and the States is an indispensable condition for the establishment of a tradition of purity in Public Services."

অসমৰ নতুন মন্ত্ৰী-সভাই ৰাজ্যৰ প্ৰশাসনৰপৰা দুৰ্নীতি দূৰ কৰিবলৈ দৃঢ় সঙ্কল্পৰ কথা বাৰে বাৰে ঘোষণা কৰিছে। কিন্তু তাকে কৰিবলৈ হ'লে তেওঁলোকে মন্ত্ৰীপৰ্য্যায়ত চলি থকা ৰাজনৈতিক দুৰ্নীতি দূৰ কৰিবলৈ সৰ্বপ্ৰথমে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ৰাজনৈতিক দুৰ্নীতি দূৰ নকৰাকৈ প্ৰশাসনীয় দুৰ্নীতি দূৰ কৰিবলৈ লোৱা সঙ্কল্প বাতুলতা বা প্ৰতাৰণাৰ বাহিৰে আন একো নহয়।

বহুতে ভাবে যে দুৰ্নীতি কেৱল এটা ব্যক্তিগত সততাৰ প্ৰশ্ন, অৰ্থাৎ মূলতে ই এটা নৈতিক সমস্যা। কিন্তু আচলতে ভাৰতৰ দৰে দৰিদ্ৰ দেশত ই এটা বিৰাট অৰ্থনৈতিক সমস্যা। দুৰ্নীতিৰ ফলত কোটি কোটি টকাৰ অপচয় হোৱাৰ ফলতেই ভাৰতৰ অৰ্থনৈতিক প্ৰগতিও আশানুৰূপভাৱে হোৱা নাই। শান্তনম কমিটীয়ে হিচাব কৰি উলিয়াইছে যে কেৱল দ্বিতীয় পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ সময়তেই প্ৰায় ১৪০ কোটি টকাৰ দুৰ্নীতিৰ ফলত অপচয় ঘটিছে। অৰ্থাৎ যোৱা ২৫ বছৰৰ ভিতৰত দুৰ্নীতিৰ ফলত অপচয় ঘটা ধনৰ পৰিমাণ এহাজাৰ কোটি টকাৰ কম নহ'ব। গতিকে অতি কঠোৰ হাতেৰে দুৰ্নীতি দমন কৰিব নোৱাৰিলে আমাৰ সীমিত সম্পদৰ বিৰাট অপচয় ঘটিব আৰু দেশৰ অৰ্থনৈতিক উন্নতিও চিৰকাল আকাশ-কুসুম হৈ ৰ'ব। অসমৰ বানপানীৰ ফলত বছৰি কোটি কোটি টকাৰ শস্য নষ্ট হয়। এই ক্ষতিৰ এটা প্ৰধান কাৰণ হ'ল খাল আৰু মঠাউৰি বিভাগত চলা ব্যাপক দুৰ্নীতি। খাল আৰু মঠাউৰি নিৰ্মাণৰ কাৰণে বছৰি যিমান কোটি কোটি টকা খৰচ কৰা হয়, তাৰ এটা বুজন অংশ মন্ত্ৰী, বিষয়া আৰু ঠিকাদাৰে লগ লাগি আত্মসাৎ নকৰা হ'লে কোটি কোটি টকাৰ শস্য ৰক্ষা কৰিব পৰা হ'লহেঁতেন আৰু লাখ লাখ দুখীয়া খেতিয়কক অৰ্ধাহাৰ আৰু অনাহাৰৰ পৰা ৰক্ষা কৰিব পৰা হ'লহেঁতেন। গতিকে সকলোৱে এই কথা সৰ্বপ্ৰথমে স্বীকাৰ কৰি লব লাগিব যে দুৰ্নীতি-দমন কেৱল ব্যক্তিগত সততা ৰক্ষা বা নৈতিকতাৰ প্ৰশ্ন নহয়; তাৰ লগত দেশৰ অৰ্থনৈতিক স্বাস্থ্যও অঙ্গাঙ্গীভাৱে জড়িত।

এতিয়া প্ৰশ্ন হ'ল : দুৰ্নীতিক কেনেকৈ দমন কৰা যায়? কেৱল একাডেমিক আলোচনা বা নৈতিক উপদেশ বিতৰণদ্বাৰা দুৰ্নীতিৰ ৰক্ত-বীজক কেতিয়াও নিশ্চিহ্ন কৰিব নোৱাৰি। দুৰ্নীতিপৰায়ণ মন্ত্ৰী, বিষয়া আৰু ব্যৱসায়ীক ধৰা পেলাই তেওঁলোকক কঠোৰ শাস্তি দিয়াই হ'ব দুৰ্নীতিক দমন কৰাৰ একমাত্ৰ উপায়। চীন দেশত দুৰ্নীতিক কেনেকৈ নিশ্চিহ্ন কৰা হৈছে সেই সম্পৰ্কে আলোচনা কৰি গাই উইণ্টে লিখিছে :

"In the disorders in China since 1911 the scale of corruption had increased in a monstrous way, and reform was very much needed. The surprising achievement of the Communists was to be able to induce among their party imembers a militant and Puritanical hatred of the old system. Here was one of the outstanding instances of ideas and institutions being able to change peoples' character. The Communist party set out to hunt the corrupt; it disciplined its own members savagely if it caught them; it developed a steady pressure against corruption in all the administration."

আমাৰ দেশত দুৰ্নীতি দূৰ কৰিব নোৱৰাৰ এটা প্ৰধান কাৰণ হ'ল এয়েই যে ইয়াত কোনোবা মন্ত্ৰী বা

বিষয়া দুৰ্নীতিৰ অপৰাধত হাতে হাতে ধৰা পৰিলেও তেওঁক শাস্তি দিয়াৰ পৰিবৰ্তে ৰক্ষা কৰিব'লৈহে অৰ্থাৎ তেওঁৰ প্ৰতি সদয় হ'বলৈহে সকলোৱেই ব্যস্ত হৈ পৰে। কুকুৰে কুকুৰৰ মাংস নাখায়; ঠিক সেইদৰে মন্ত্ৰীয়ে মন্ত্ৰীৰ বিৰুদ্ধে আৰু বিষয়াই বিষয়াৰ বিৰুদ্ধে কেতিয়াও হাতত অস্ত্ৰ তুলি নলয়। ফলত দুৰ্নীতিৰ বলি হয় কেৱল দুখীয়া জনসাধাৰণ। দুৰ্নীতিপৰায়ণ বিষয়া বা মন্ত্ৰীৰ ভাত মাৰিবলৈ চৰকাৰে ইচ্ছা নকৰে, কিন্তু একো একোজন দুৰ্নীতিগ্ৰস্ত মন্ত্ৰী বা বিষয়াৰ কু-কৰ্মৰ ফলত কিমান হাজাৰ হাজাৰ দুখীয়া ৰাইজৰ যে ভাত মৰা পৰে, সেই কথা চৰকাৰে চিন্তা কৰি চাব নোৱাৰে। ইয়াৰপৰা কেৱল এটা কথাইহে প্ৰমাণিত হয় যে হাজাৰ হাজাৰ, লাখ লাখ দুখীয়া ৰাইজতকৈ মাত্ৰ এজন মন্ত্ৰী বা এজন বিষয়াৰ প্ৰতি চৰকাৰৰ দৰদ সদায় বেছি। চৰকাৰৰ এই অস্থল-পতিত কৰুণাই হ'ল দুৰ্নীতিৰ আয়ুস বাঢ়ি গৈ থকাৰ প্ৰধান কাৰণ।

অসমৰ নতুন চৰকাৰে যোৱা তিনি মাহে দুৰ্নীতিৰ বিৰুদ্ধে বহুত লম্ফ-জম্ফ কৰি দেখুৱাইছে। কিন্তু কামত বিশেষ একো কৰি দেখুৱাব পৰা নাই। শ্ৰীশৰৎ সিংহই স্পষ্ট ভাষাত দুৰ্নীতিৰ ব্যাপক অস্তিত্ব স্বীকাৰ কৰি লৈছে, কিন্তু যোৱা তিনি মাহৰ ভিতৰত উল্লেখযোগ্য এজন বিষয়াকো দুৰ্নীতিৰ অপৰাধত শাস্তি বিহি দেখুৱাব পৰা নাই। দুৰ্নীতিৰ বিহ-গছৰ মাজে সময়ে ডাল-পাত কাটি থাকি তাক নিৰ্মূল কৰিব নোৱাৰি; তাক নিৰ্মূল কৰিবলৈ হ'লে দুৰ্নীতিৰূপী বিহ-গছজোপাৰ মূল শিপাবোৰ নিৰ্মম হাতেৰে উভালি পেলাব পাৰিব লাগিব। শ্ৰীশৰৎ সিংহই দুৰ্নীতিৰ অস্তিত্ব স্বীকাৰ কৰি লৈছে, কিন্তু দুৰ্নীতিপৰায়ণ বিষয়াক বিচাৰি উলিয়া পৰা নাই। তাৰ কাৰণ কি? তাৰ এটা কাৰণ এয়েই হ'ব পাৰে যে দুৰ্নীতিপৰায়ণ বিষয়াসকলৰ বুদ্ধি-কৌশল ধৰা পেলাবৰ জোখাৰে চৰকাৰৰ নতুন নেতাসকলৰ বিদ্যা-বুদ্ধিৰ অভাৱ; অথবা দুৰ্নীতি নিৰ্মূল কৰিবলৈ নতুন চৰকাৰৰো প্ৰকৃত আন্তৰিকতা নাই। মুঠতে দুৰ্নীতিৰ প্ৰশ্নটো নতুন চৰকাৰৰ কাৰণে প্ৰধান অগ্নি-পৰীক্ষা। জনতাৰ প্ৰতি প্ৰকৃত কৰুণাই ব্যক্তি-বিশেষৰ বিৰুদ্ধে মানুহক নিৰ্মম কৰি তোলে বা তুলিব পৰা উচিত। নতুন চৰকাৰৰ প্ৰতিশ্ৰুতি শুনি শুনি ৰাইজৰ কাণ ঘোলা হ'বৰ উপক্ৰম হৈছে; এতিয়া ৰাইজে বিচাৰে কাম। পশ্চিম বংগত কৰাৰ দৰে অহা তিনি মাহৰ ভিতৰত অন্ততঃ দহজন ৰৰমূৰীয়া দুৰ্নীতিপৰায়ণ বিষয়াক ধৰা পেলাই শাস্তি দিব পাৰিলেহে দুৰ্নীতি-দৈত্যৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ নতুন চৰকাৰৰ প্ৰয়োজনীয় বিদ্যা-বুদ্ধি আৰু আন্তৰিকতা আছে বুলি ৰাইজ পতিয়ন যাব। দুৰ্নীতিপৰায়ণ বিষয়াক ধৰা পেলাই শাস্তি দিব নোৱাৰিলে প্ৰশাসনত দুৰ্নীতি চলি আছে বুলি কৈ থকাৰ একো অৰ্থ নাই।

প্ৰথম এশটা দিন

বাস্তৱতাক অস্বীকাৰ কৰি কাৰো একো লাভ নহয়। সত্যৰ খাতিৰত এই কথা স্বীকাৰ কৰিবই লাগিব যে আজিৰপৰা প্ৰায় এশ দিনৰ আগতে শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বত নতুন মন্ত্ৰীসভাই কাৰ্য্যভাৰ গ্ৰহণ কৰোঁতে অসমৰ জনসাধাৰণৰ মনত যি নতুন আশা আৰু উৎসাহ-উদ্দীপনাৰ সঞ্চাৰ হৈছিল, এতিয়া তাৰ নাম মাত্ৰহে অৱশিষ্ট ৰৈছেগৈ। বহুতো মানুহৰ মনত আনকি আশাৰ ঠাই দখল কৰিছে মোহভঙ্গজনিত বেদনাবোৰে। ইয়াৰ সম্ভাব্য কাৰণবোৰ নিৰপেক্ষ আৰু বস্তুনিষ্ঠ দৃষ্টিভংগীৰে বিশ্লেষণ কৰি চোৱা দৰকাৰ।

আশাভঙ্গৰ মূল কাৰণ দুটা হ'ব পাৰে ঃ হয় ৰাইজে অন্যায় আবদাৰ কৰিবলৈ আৰম্ভ কৰিছে, অৰ্থাৎ নতুন চৰকাৰৰ পক্ষে বৰ্তমানৰ অৱস্থাত যিমানখিনি কৰা সম্ভৱ, ৰাইজে তাতোকৈ বহু বেছি আশা কৰিছে; অথবা প্ৰথম এশ দিনৰ ভিতৰতে চৰকাৰে যিমানখিনি কাম কৰা সম্ভৱ – যিকোনো কাৰণতেই নহওক, তেওঁলোকে সিমানখিনি কৰিব পৰা নাই। আমাৰ ধাৰণা যে নতুন চৰকাৰ সম্পৰ্কে ৰাইজৰ যি মোহভঙ্গ ঘটিবলৈ আৰম্ভ কৰিছে তাৰ কাৰণে এই দুয়োটা কাৰণেই কিছু কিছু পৰিমাণে দায়ী।

অসম চৰকাৰ আৰু কংগ্ৰেছ অনুষ্ঠানৰ নেতৃত্বৰ উল্লেখযোগ্য পৰিবৰ্তন নোহোৱা হ'লে ৰাইজৰ মনতো নতুন কোনো আশাৰ সঞ্চাৰ নহ'লহেঁতেন, আৰু তেতিয়া তেওঁলোকে স্থিতাৱস্থাক হয় অখণ্ডনীয় বিধিলিপি বুলি মানি ললেহেঁতেন, অথবা কোনো বিকল্প উপায়েৰে তাৰ পৰিবৰ্তনৰ চেষ্টা কৰিলেহেঁতেন। কিন্তু কংগ্ৰেছৰ প্ৰতিষ্ঠিত নেতৃত্বক ওফৰাই পেলাই তাৰ ঠাইত নতুন নেতৃত্ব আৰু নতুন চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ গৈ শ্ৰীশৰৎ সিংহ আৰু তেওঁৰ অনুগামীসকলে ৰাইজৰ মনত এটা নতুন 'প্ৰত্যাশাৰ বিপ্লৱ' সৃষ্টি কৰিব লগা হ'ল। ৰাইজৰ মনত এনে এটা ধাৰণাৰ সৃষ্টি কৰা হ'ল যে অসমৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত মৌলিক পৰিবৰ্তন আনিবলৈ হ'লে চৰকাৰ আৰু কংগ্ৰেছ নেতৃত্বৰো পৰিবৰ্তন অপৰিহাৰ্য্য। নতুন নেতাসকলৰ বুজনিত অসমৰ ৰাইজো যে সম্পূৰ্ণ ৰূপে পতিয়ন গ'ল সেই কথা নিৰ্বাচনৰ ফলাফলেই প্ৰমাণ কৰিলে। গতিকে ৰাইজৰ মনত নতুন প্ৰত্যাশা সৃষ্টি কৰাৰ কাৰণে নতুন চৰকাৰেই সম্পূৰ্ণৰূপে দায়ী। সন্দেহ হয় যে ক্ষমতা দখলৰ প্ৰয়োজনৰ অনিবাৰ্য্য তাড়নাত নতুন নেতাসকলে নিজৰ সামৰ্থ্যই বলে পৰাতকৈয়ো বহুত বেছি আশ্বাস আৰু প্ৰতিশ্ৰুতি ৰাইজক দি পেলালে।

নতুন চৰকাৰ গঠন হোৱাৰ লগে লগেই ৰাইজৰ মনত মথাউৰি ভাঙি সোমাই অহা বান-পানীৰ দৰে নতুন আশা ঢল ববলৈ আৰম্ভ কৰিলে। এই কথা সম্পূৰ্ণৰূপে সঁচা যে ৰাইজে যিমানখিনি আশা কৰে সিমানখিনি পূৰ্ণ কৰিবলৈ কোনো চৰকাৰৰ হাততেই 'আলাদিনৰ মায়াবী চাকি' নাই। এশ দিনৰ ভিতৰততো ৰাইজৰ কোনো এটা দাবীয়েই সম্পূৰ্ণৰূপে পূৰণ কৰাটো সম্ভৱ নহয়। নতুন চৰকাৰে যোৱা পঁচিশ বছৰৰ কংগ্ৰেছী কু-শাসনৰ পৰিণাম স্বৰূপ যি আবৰ্জনাৰ স্তূপ উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিছে, সেইখিনি পৰিষ্কাৰ কৰোঁতেই বহুত সময় লাগি যাব। গতিকে ৰাইজে অতি বেছি আশা কৰি যদি এতিয়া অতিমাত্ৰাই মোহভঙ্গৰ যন্ত্ৰণাত ভুগিবলৈ আৰম্ভ কৰিছে, তেন্তে তাৰ কাৰণে নতুন চৰকাৰৰ মন্থৰ গতি যিমান দায়ী, ৰাইজৰ আশা আৰু উৎসাহৰ আতিশয্যও কম দায়ী নহয়।

ৰাইজৰ ভুল কেৱল এইখিনিতেই। নিৰ্বাচনী প্ৰতিশ্ৰুতিক যে আক্ষৰিক অৰ্থত লব নাপায় আৰু ক্ষমতা

দখলৰ ৰাজনীতিৰ দল ব্যক্তি নির্বিশেষে কেতবোৰ সাধাৰণ লক্ষণ থাকে, সেই কথা তেওঁলোকে বহু তিক্ত অভিজ্ঞতাৰ অন্ততো এতিয়াও মনত ৰাখিবলৈ শিকা নাই। এতিয়া দ্বিতীয় প্ৰশ্নটো হ'ল : ৰাইজে যিমানখিনি আশা কৰে, ইমান কম সময়ৰ ভিতৰতে সিমানখিনি কৰাটো হয়তো নতুন চৰকাৰৰ পক্ষে সম্ভৱ নহয়; কিন্তু যিমানখিনি কৰাটো সম্ভৱ সিমানখিনি চৰকাৰে ইতিমধ্যে কৰিছেনে?

কংগ্ৰেছ দলে নির্বাচনৰ আগত আৰু নতুন চৰকাৰে ঠিক পাচত ৰাইজক যিবোৰ প্ৰতিশ্ৰুতি দিছিল, তাৰ সাৰমৰ্ম আছিল এয়েই যে তেওঁলোকে নিবনুৱা সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰিব আৰু প্ৰশাসন ব্যৱস্থাৰপৰা দুৰ্নীতি দূৰ কৰি আৰু দক্ষতা বৃদ্ধি কৰি তাৰ আমূল সংস্কাৰ কৰিবলৈ চেষ্টা কৰিব। নতুন চৰকাৰ গঠন হোৱাৰ এমাহৰ পাচত ২০ এপ্ৰিলত বহা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অধিবেশনত প্ৰস্তাৱ লোৱা হৈছিল যে নতুন চৰকাৰে (১) খেতিৰ মাটি আৰু চহৰীয়া সম্পত্তিৰ সৰ্বোচ্চ সীমা ধাৰ্য্য কৰি আইন পাছ কৰিব, (২) প্ৰশাসনৰপৰা দুৰ্নীতি দূৰ কৰিব আৰু দক্ষতা বৃদ্ধি কৰিব, (৩) ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰিব, (৪) ৰাজ্যিক পৰিকল্পনা পৰিষদ গঠন কৰিব, (৫) নিবনুৱা লোকসকলৰ কাৰণে নতুন কৰ্ম-সংস্থানৰ সুযোগ সৃষ্টি কৰিব, আৰু (৬) কৃষিজাত উৎপাদন বৃদ্ধি কৰি দাৰিদ্ৰ্য দূৰ কৰিবলৈ চেষ্টা কৰিব। ২৮ এপ্ৰিলত চিলঙত বহা কংগ্ৰেছ বিধায়িনী দলৰ বৈঠকত সিদ্ধান্ত লোৱা হৈছিল যে সমাজৰ দুৰ্বলতম অংশক নিম্নতম সা-সুবিধা দিবৰ কাৰণে অগ্ৰাধিকাৰৰ ভিত্তিত দ্ৰুতভাৱে কাৰ্য্যকৰী কৰিব পৰা ব্যৱস্থা হাতত লোৱা হ'ব আৰু খেতিয়কক প্ৰয়োজনীয় বিত্তীয় সাহায্যৰ যোগান ধৰা হ'ব। এই বৈঠকতে এই বুলিও সিদ্ধান্ত লোৱা হৈছিল যে (১) চৰকাৰে বহু বছৰ কেইটামান ৰুগ্ন উদ্যোগক নিজৰ হাতলৈ নি পাচত সেইবোৰ কাৰ্য্যক্ষম হোৱাৰ পিচত খলুৱা নিবনুৱা ডেকাক শোধাই দিয়া হ'ব, (২) গ্ৰাম্য অঞ্চলত বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হ'ব, (৩) দুখীয়া শ্ৰেণীৰ মানুহৰ বাসস্থানৰ সমস্যাৰ সমাধানৰ কাৰণে 'গৃহ-নিৰ্মাণ পৰিষদ' গঠন কৰা হ'ব, আৰু (৪) [illegible] ব্যৱস্থাৰ সবলীকৰণ আৰু বিকেন্দ্ৰীকৰণ কৰা হ'ব। ২৫ এপ্ৰিল তাৰিখে নতুন উদ্যোগ মন্ত্ৰীয়ে ঘোষণা কৰিছিল যে অসমৰ ঔদ্যোগিক নীতিৰ আৱশ্যকীয় সংশোধন কৰি নতুন নীতি ঘোষণা কৰা হ'ব। [illegible] এপ্ৰিল তাৰিখে মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই ধুবুৰীৰ চাৰ্কিট হাউচত কংগ্ৰেছ কৰ্মীসকলৰ এখন বৈঠকত ঘোষণা কৰিছিল যে পঞ্চায়তী ব্যৱস্থাৰ সংস্কাৰ কৰি জিলা-ভিত্তিত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ কাৰণে জুন মাহৰ শেষ ভাগতেই বিধান সভাত এখন নতুন বিল উত্থাপন কৰা হ'ব। ৬ মে' তাৰিখে অসম চৰকাৰে ঘোষণা কৰিছিল যে কৃষিৰ উৎপাদন বৃদ্ধিৰ কাৰণে ৰাজ্যৰ কেইখনমান বছা বছা ঠাইত পাইলট প্ৰজেক্ট স্থাপন কৰা হ'ব। ২ মে' তাৰিখে মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই ঘোষণা কৰিছিল যে শাসন-ব্যৱস্থাৰ ৰূপগত পৰিবৰ্তন অৰ্থাৎ গাঁথনিৰ পৰিবৰ্তনৰ কাৰণে অন্ততঃ তাত্ত্বিক পৰিকল্পনাখিনিক এটা স্পষ্ট ৰূপ দিয়া হ'ব ধৰিছে, আৰু আৰম্ভণিতে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা নহ'লেও প্ৰশাসনীয় পৰিবৰ্তন কৰা হ'ব। ৮ মে' তাৰিখে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে ১৯৭৩ চনৰ ডিচেম্বৰ মাহৰ ভিতৰতে অসমৰ ৰাজধানী চিলঙৰপৰা স্থানান্তৰ কৰা হ'ব, আৰু নতুন স্থানৰ বিষয়ে দুমাহৰ ভিতৰতে অৰ্থাৎ ৮ জুলাইৰ আগতে 'সুনিশ্চিত সিদ্ধান্ত' ঘোষণা কৰা হ'ব।

যোৱা তিনি মাহৰ ভিতৰত নতুন চৰকাৰে দিয়া মৌখিক প্ৰতিশ্ৰুতিৰ তালিকা আৰু দীঘলীয়া কৰিব পাৰি। কিন্তু সদ্যহতে সেই কাম বাদ দি চৰকাৰে এতিয়ালৈকে বাস্তৱত কি কি কাম কৰি দেখুৱাব পাৰিছে তাকেই পৰীক্ষা কৰি চোৱা যাওক। এই কথা ঠিক যে ওপৰত উল্লেখ কৰা প্ৰত্যেকটো কাম কৰো বুলিলেই ততালিকে কৰি পেলাব নোৱাৰি। কিছুমান কামত হাত দিয়াৰ আগতে সকলো খুঁটি-নাটি পৰীক্ষা কৰি বিশদভাৱে পৰিকল্পনা কৰিব লাগিব আৰু প্ৰয়োজনীয় ধনৰ ব্যৱস্থা কৰি লব লাগিব। আমি ধৰি লৈছোঁ যে

সেইবোৰ কামৰ কাৰণে পৰিকল্পনাৰ প্ৰস্তুতি এতিয়া চলি আছে আৰু বাজেট অধিবেশন শেষ হোৱাৰ লগে লগেই কাম আৰম্ভ কৰা হ'ব। কিন্তু এনে কিছুমান কাম আছে – যিবোৰ কাম কৰিবলৈ ধনৰ প্ৰয়োজন নাই, লাগে কেৱল মনটোহে আৰু সেইবোৰ কামৰ সূচনা প্ৰথম এশ দিনতেই কৰিব পাৰিব লাগিছিল। কিছুমান কাম কৰোঁতে প্ৰয়োজনতকৈ অধিক সময় ললে চৰকাৰৰ যোগ্যতা, আন্তৰিকতা আৰু স্পষ্ট চিন্তাৰ অভাৱহে প্ৰমাণিত হয়। উদাহৰণ স্বৰূপে প্ৰশাসনীয় সংস্কাৰ, দুৰ্নীতি নিৰ্মূলকৰণ, নতুন ঔদ্যোগিক নীতিৰ ঘোষণা, ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, ৰাজধানীৰ স্থান নিৰ্ণয়, পৰিকল্পনা পৰিষদ গঠন – এইবোৰ কাম ধনৰ অভাৱৰ কাৰণে পৰি থাকিবলগীয়া নহয়। সকলো বুদ্ধিমান নেতাই এই কথা জানে বা জনা উচিত যে দীৰ্ঘ সময়সাপেক্ষ কামবোৰ ধীৰে-সুস্থিৰে কৰিবলৈ পেলাই থৈয়ো কেতবোৰ সৰু সৰু কিন্তু অৰ্থপূৰ্ণ কামৰ দ্বাৰাই জনসাধাৰণৰ উৎসাহ-উদ্দীপনাত ভাটা নপৰাকৈ অক্ষুণ্ণ ৰাখিব পাৰি আৰু এনে এটা উদ্দীপনাপূৰ্ণ পৰিবেশ সৃষ্টি কৰি ৰাখিব পাৰিলে ডাঙৰ ডাঙৰ কাম কৰাতো সুবিধা হয়। সকলো কৃতকাৰ্য্যতাৰ মূল কথা হ'ল উৎসাহ। এ'মাৰ্চনে সেয়েহে কৈছিল : "Every great and commanding movement in the annals of the world is the triumph of enthusiasm"– স্থিতাৱস্থাৰ অৱসান ঘটাই পৰিবৰ্তনৰ সূচনা কৰিব খোজা এটা নতুন চৰকাৰৰ কাৰণে জনসাধাৰণৰ নৱ-জাগ্ৰত আশা আৰু উৎসাহেই আটাইতকৈ ডাঙৰ মূলধন, আৰু দীৰ্ঘ-সূত্ৰিতা অৱলম্বন কৰি এই মূলধন নষ্ট হ'বলৈ দিয়াতকৈ ডাঙৰ মূৰ্খামিৰ কাম আন একোৱেই হ'ব নোৱাৰে। পৰিতাপৰ কথা যে অসমৰ নতুন চৰকাৰে ঠিক তাকেই কৰিবলৈ আগবঢ়া যেন দেখা গৈছে।

ৰাইজে নতুন চৰকাৰৰপৰা অন্ততঃ এইখিনি আশা কৰিছিল যে তেওঁলোকে কাৰ্য্যভাৰ হাতত লৈয়েই দুৰ্নীতিৰ বিৰুদ্ধে এটা সু-পৰিকল্পিত অভিযান চলাব আৰু প্ৰশাসন-ব্যৱস্থাত কেতবোৰ মৌলিক পৰিবৰ্তন আনিব। চৰকাৰে যিমানেই শুদ্ধ আৰু প্ৰগতিশীল ব্যৱস্থা হাতত নলওক কিয় – এটা সৎ আৰু সুদক্ষ প্ৰশাসন-ব্যৱস্থাৰ অবিহনে সেই নীতিবোৰ যথাযথভাৱে কাৰ্য্যকৰী কৰা কেতিয়াও সম্ভৱ নহয়। চৰকাৰে এই কাম কৰিম বুলি নিজেই স্পষ্ট প্ৰতিশ্ৰুতিত দি থৈছিল। এই কথা সকলোৱেই জানে যে অসম চৰকাৰৰ কেইজনমান উচ্চপদস্থ বিষয়াৰ বিৰুদ্ধে বহুদিন ধৰি দুৰ্নীতিৰ অভিযোগ পুঞ্জীভূত হৈ আহিছে আৰু তেওঁলোকৰ জন-স্বাৰ্থ-বিৰোধী কাম-কাজৰ ফলতেই চৰকাৰৰ বহুতো জন-হিতকৰ নীতিও ব্যৰ্থ হৈছে। ৰাইজে এইখিনি আশা কৰিছিল যে প্ৰশাসনীয় সংস্কাৰৰ আৰম্ভণি স্বৰূপে নতুন চৰকাৰে অন্ততঃ এনে কেইজনমান বিষয়াক সম্ভৱ হ'লে আইন-সঙ্গত শাস্তি দিব, নহ'লেও অন্ততঃ তেওঁলোকক বৰ্তমানৰ পদবীৰপৰা অপসাৰিত কৰি বিভাগকেইটাৰ পুনৰ্ব্বিন্যাস কৰিব। যি শৰৎ সিংহই এদিন দ্ব্যৰ্থহীন ভাষাৰে ঘোষণা কৰিছিল যে আমোলাতন্ত্ৰ আৰু দুৰ্নীতিৰ চক্ৰৰ তলত নিস্পেষিত হৈ তেওঁ অন্ধকাৰ দেখিছে আৰু পথ বিচাৰি পোৱা নাই, সেই শৰৎ সিংহই আজি তিনি মাহৰ ভিতৰতো শাস্তি-বিধান আৰু অপসাৰণৰ যোগ্য এজনো দুৰ্নীতিপৰায়ণ বিষয়া বিচাৰি নোপোৱাটো পৰম বিস্ময়ৰ কথা নহয়নে?

চৰকাৰে আজি তিনি মাহেও পৰিকল্পনা পৰিষদখন গঠন কৰিব পৰা নাই কিয়? গৃহ-নিৰ্মাণ পৰিষদ গঠন কৰিব পৰা নাই কিয়? খুব সম্ভৱ চৰকাৰে এতিয়াও যোগ্য লোক বিচাৰি পোৱা নাই। অসমত কেৱল মন্ত্ৰী পদৰ কাৰণে যোগ্য লোকৰ অভাৱ নাই, তাৰ বাহিৰে আন প্ৰতিটো পদৰ কাৰণেই যোগ্য লোকৰ ভীষণ অভাৱ। কিন্তু যিহেতু অসমৰ পৰিকল্পনা পৰিষদ অৱশেষত অসমৰ লোকেৰেই গঠন কৰিব লাগিব আৰু তাৰ কাৰণে বিলাত, আমেৰিকাৰপৰা মানুহ আমদানী কৰা নহ'ব, তেনেস্থলত অযথাতে সময়বোৰ

যাবলৈ নিদি পৰিকল্পনা পৰিষদখন সোনকালে গঠন কৰি দিয়া হ'লে তেওঁলোকে কাম কৰিবলৈ বোধহয় বেছি সুবিধা পালেহেঁতেন। তদুপৰি অপেক্ষাকৃত কম যোগ্য লোকক কাম কৰিবলৈ অধিক সময়বো দৰকাৰ। অসম চৰকাৰে আৰু এটা ডাঙৰ ভুল কাম কৰিছে। কোনো চৰকাৰেই এনে কোনো দায়িত্বহীন উক্তি কৰিব নাপায় যাৰ ফলত জনসাধাৰণৰ চকুত তেওঁলোকৰ creditability বা বিশ্বাসযোগ্যতা নষ্ট হৈ যায়। ৮ মে' তাৰিখে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে দুমাহৰ ভিতৰতে নতুন ৰাজধানীৰ চূড়ান্ত স্থান নিশ্চিতভাৱে ঘোষণা কৰা হ'ব। পাচত দেখা গ'ল যে তেওঁ এখন অস্থায়ী ৰাজধানীৰ কাৰণেহে ঠাইৰ নাম ঘোষণা কৰিলে। ১৭ এপ্ৰিল তাৰিখে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে জুন মাহৰ শেষ ভাগত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ কাৰণে বিধান সভাত এখন বিল উত্থাপন কৰা হ'ব। কিন্তু তেনে বিল উত্থাপিত নোহোৱাকৈয়ে জুন মাহ পাৰ হৈ গ'ল। মুখ্যমন্ত্ৰীৰ কাৰ্য্যভাৰ লৈয়েই শ্ৰীশৰৎ সিংহই অবিৰামভাৱে কবলৈ আৰম্ভ কৰিছিল যে নতুন চৰকাৰে প্ৰশাসন ব্যৱস্থাত structural change বা আকৃতিগত পৰিবৰ্তন অনাৰ ব্যৱস্থা হাতত লব। কিন্তু সেই কথা সম্প্ৰতি এনেভাৱে তল পৰিছে যেন কোনেও কোনোকালে তেনে কথা মুখতেই লোৱা নাছিল। ইত্যাদি।

আমি যিসকলে বাস্তৱ অৱস্থাৰ লগত পৰিচয় ৰাখিবলৈ যত্ন কৰোঁ, তেনে কোনো লোকেই আশা কৰা নাছিলোঁ যে প্ৰথম এশ দিনৰ ভিতৰতে নতুন চৰকাৰে অভাৱনীয় আৰু নাটকীয় কিবা এটা কৰি পেলাবলৈ সমৰ্থ হ'ব। কিন্তু আমি অন্ততঃ এইখিনি আশা কৰিছিলোঁ যে নতুন চৰকাৰে যথাসম্ভৱ দ্ৰুত গতিৰে এনে কেইটামান অৰ্থপূৰ্ণ কামৰ সূচনা কৰিব – যাৰ ফলত জনসাধাৰণৰ উৎসাহ-উদ্দীপনা অক্ষুণ্ণ হৈ ৰব আৰু ৰাইজে চৰকাৰৰ চিন্তা-ধাৰাৰ কিছু আভাস পাব। এনে আধাৰে ক'বলৈ গ'লে প্ৰথম এশ দিনৰ কাম-কাজৰ দ্বাৰা নতুন চৰকাৰে আমাক যথেষ্ট হতাশ কৰিছে। কেইহাজাৰমান নিম্ন পৰ্য্যায়ৰ আৰু দৰিদ্ৰ চৰকাৰী চাকৰিয়ালক কৰ্মচ্যুত কৰি ভিক্ষাৰী আৰু ধৰুৱাত পৰিণত কৰাটোৱেই বোধহয় যোৱা এশ দিনৰ ভিতৰত নতুন চৰকাৰৰ আটাইতকৈ উল্লেখযোগ্য কাম। ভাগ্যৰ এনেকুৱাই পৰিহাস যে যি চৰকাৰে সমাজৰ দুৰ্বলতম শ্ৰেণীৰ মানুহবোৰৰ ভাগ্য-পৰিবৰ্তনৰ প্ৰতিশ্ৰুতি দি ক্ষমতা দখল কৰিছিল, সেই চৰকাৰৰ যান্ত্ৰিক কৰ্ম-পদ্ধতিৰ প্ৰথম বলি হ'ল সেই হতভাগ্য মানুহবোৰেই।

ইমানখিনি কোৱাৰ পাচতো আমি আকৌ কওঁ যে আমি শৰৎ সিংহৰ ওপৰত বিশ্বাস এতিয়াও সম্পূৰ্ণৰূপে হেৰুৱাই পেলোৱা নাই। বহুত নেতাই ৰাইজৰ বাহ্‌বা লবৰ কাৰণে এনে কিছুমান নাটকীয় কাম কৰি দেখুৱায় – যাৰ শুভ-ফল তেনেই খন্তেকীয়া। কিন্তু আন কিছুমান নেতাই ৰাইজৰ হাত-তালিৰ প্ৰলোভন জয় কৰি আৰু নাটকীয়তাৰ দ্বাৰা মোহগ্ৰস্ত নহৈ নীৰবে এনে বৃহৎ কৰ্মৰ কাৰণে প্ৰস্তুতি চলাই থাকে – যাৰ শুভ-পৰিণাম হ'ব চিৰস্থায়ী। শ্ৰীশৰৎ সিংহ নিশ্চয় দ্বিতীয় শ্ৰেণীৰ নেতা। আমি আৰু কিছুদিন ধৈৰ্য্য ধৰিম আৰু আশা কৰিম যে তেওঁ ৰাইজৰ মনত যি আশা জগাই তুলিছিল সেই আশা পূৰণ কৰিবলৈ নিশ্চয় সমৰ্থ হ'ব। কিন্তু মন্ত্ৰীৰ পক্ষে ভৰা পেটেৰে যিমান দিন ধৈৰ্য্য ধৰি প্ৰতীক্ষা কৰা সম্ভৱ, খাবলৈ নোপোৱা মানুহৰ পক্ষে খালী পেটেৰে সিমান দিন প্ৰতীক্ষা কৰা সম্ভৱ নহয়। ইতিমধ্যেই মানুহ অতীষ্ঠ হৈ উঠিছে। যি চৰকাৰে জনতাৰ নাড়ীৰ স্পন্দন বুজি কাম নকৰে, সেই চৰকাৰৰ নিজৰ নাড়ীৰ স্পন্দন কেতিয়া বন্ধ হৈ যায় তাৰ ঠিক নাই।

সাপ্তাহিক নীলাচল, ১৮৯ সংখ্যা ঃ ১২ জুলাই, ১৯৭২

তিনিজন মুখ্যমন্ত্ৰী আৰু এটা অন্তহীন সমস্যা

অসমৰ তিনিজন মুখ্যমন্ত্ৰী – যথাক্ৰমে স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা, শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী আৰু শ্ৰীশৰৎ সিংহৰ লগত দুৰ্নীতিৰ সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ আমি সুযোগ পাইছিলোঁ। ১৯৬৯ চনৰ ১০ চেপ্তেম্বৰ তাৰিখে সাপ্তাহিক নীলাচলৰ সম্পাদকক দিয়া এটা সাক্ষাৎকাৰত চলিহাই কৈছিল ঃ "আমাৰ প্ৰশাসনীয় ব্যৱস্থা দিনে দিনে অধিক দুৰ্নীতিগ্ৰস্ত আৰু অকৰ্মণ্য হৈ যাব ধৰিছে বুলি মই মানি নলওঁ; অৱশ্যে প্ৰশাসনিক ব্যৱস্থাত দুৰ্নীতি থকাটো মই অস্বীকাৰ নকৰোঁ।'

১৯৭১ চনৰ ২০ অক্টোবৰ তাৰিখে ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীয়ে আমাক কৈছিল, "আমি প্ৰশাসন ব্যৱস্থাক অধিক কাৰ্য্যদক্ষ কৰি তুলিবলৈ আৰু ৰাইজৰ ওচৰ চপাই আনিবলৈ চেষ্টা কৰিছোঁ, আৰু সেইটো কৰিব পাৰিলেই দুৰ্নীতিও বহু পৰিমাণে দূৰ হ'ব। কিন্তু মই বিশ্বাস কৰোঁ যে দুৰ্নীতিৰ মূল কাৰণ বহু যুগ ধৰি ভাৰতীয় সমাজ-ব্যৱস্থাতেই নিহিত হৈ আছে; গতিকে সমাজ-ব্যৱস্থা আৰু সামাজিক দৃষ্টি-ভঙ্গীৰ পৰিবৰ্তন নহ'লে কেৱল প্ৰশাসনিক ব্যৱস্থাৰ দ্বাৰা দুৰ্নীতি নিবাৰণ কৰা সম্ভৱ নহয়।

দুৰ্নীতি সম্পৰ্কে শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ মনোভাৱ আমি জানিবলৈ সুযোগ পাইছিলোঁ তেওঁ মুখ্যমন্ত্ৰী হোৱাৰ বহুত দিনৰ আগতেই। ১৯৬৯ চনৰ ১৬ অক্টোবৰ তাৰিখে সাপ্তাহিক নীলাচলত লিখা এটা প্ৰবন্ধত শ্ৰীসিংহই লিখিছিল ঃ '(জনসাধাৰণৰ প্ৰধান সমস্যাবোৰৰ) সমাধান বিচাৰিছোঁ, কিন্তু দুৰ্নীতি আৰু আমোলা-তন্ত্ৰৰ চক্ৰৰ তলত নিষ্পেষিত হৈ অন্ধকাৰ দেখিছোঁ, পথ বিচাৰি পোৱা নাই।'

দুৰ্নীতি সম্পৰ্কে অসমৰ এই তিনিজন মুখ্য মন্ত্ৰীৰ মনোভাৱ তুলনা কৰি চালে দেখা যায় যে এই সমস্যাটোৰ গুৰুত্ব আটাইতকৈ তীব্ৰভাৱে কেৱল শ্ৰীসিংহইহে অনুভৱ কৰিছিল। স্বৰ্গীয় চলিহাই সমস্যাটোৰ ওপৰত বিশেষ গুৰুত্ব দিব খোজা নাছিল; আৰু শ্ৰীচৌধুৰীয়ে বিৰাট ঐতিহাসিক আৰু তাত্ত্বিক পটভূমিৰ অৱতাৰণা কৰি সমস্যাটোৰ লগত মুখা-মুখি হোৱাৰপৰা পলায়নৰ পথ বিচাৰিছিল। কিন্তু শ্ৰীসিংহই স্পষ্টভাৱে স্বীকাৰ কৰিছিল যে (তেওঁৰ মতে) জনসাধাৰণৰ দাৰিদ্ৰ্য আৰু নিবনুৱা সমস্যা সমাধানৰ পথত আটাইতকৈ ডাঙৰ বাধা হ'ল দুৰ্নীতি আৰু আমোলা-তন্ত্ৰ।

এই উক্তি কৰিবৰ সময়ত শ্ৰীসিংহই হতাশাৰ অন্ধকাৰৰ মাজত পথ বিচাৰি পোৱা নাছিল, কাৰণ সেই দিনা তেওঁৰ হাতত একো কৰিবলৈ ক্ষমতা নাছিল। যিদিনা তেওঁৰ হাতলৈ ক্ষমতা আহিল, সেইদিনা সকলো মানুহৰ মনতেই নতুনকৈ আশা জাগিল যে যিজন মানুহে দুৰ্নীতিক ইমান এটা ডাঙৰ সমস্যা বুলি ভাবে আৰু সেই সম্পৰ্কে ইমান তীব্ৰভাৱে অনুভৱ কৰে, তেওঁ নিশ্চয় অসমৰ ৰাজনৈতিক জীৱন আৰু প্ৰশাসন ব্যৱস্থাক দুৰ্নীতিৰপৰা মুক্ত কৰিবলৈ অতি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব।

১৯৬৯ চনৰ ১৬ অক্টোবৰত শ্ৰীশৰৎ সিংহই লিখিছিল যে তেওঁ দুৰ্নীতি আৰু আমোলা-তন্ত্ৰৰ চক্ৰৰ তলত নিষ্পেষিত হৈ অন্ধকাৰ দেখিছে। কিন্তু ঘটনা-ক্ৰমে অসমৰ মুখ্য মন্ত্ৰী হৈ ১৯৭২ চনৰ ২৯ মাৰ্চ তাৰিখে তেওঁ আমাক ক'লে – 'কিন্তু আমোলা-তন্ত্ৰটো অকলেই ইয়াৰ বাবে দায়ী নহয়; যিসকলে ইয়াক পৰিচালনা কৰে আৰু যিসকলৰ কাৰণে ই পৰিচালিত হয়, কিঞ্চিৎ হ'লেও দোষ সেই সকলৰ।' অৰ্থাৎ ক্ষমতা আৰু দায়িত্ব হাতত নথাকোতে তেওঁৰ আক্ৰমণৰ লক্ষ্য আছিল কেৱল দুৰ্নীতি আৰু আমোলাতন্ত্ৰ। কিন্তু ক্ষমতা হাতত পোৱাৰ পিচত তেওঁ তাৰ লগতে ৰাইজ আৰু ৰাজনীতিক সকলকো সাঙুৰি পেলাই সমস্যাটো ব্যাপক বুলি প্ৰতিপন্ন কৰি পেলালে আৰু জৰুৰী ব্যৱস্থা লোৱাৰ পৰা পৰিত্ৰাণৰ পথ বিচাৰিলে। মুখ্যমন্ত্ৰী হোৱাৰ এশ দিনৰ পিচত তেওঁক যেতিয়া এই বিষয়ে পুনৰ প্ৰশ্ন কৰা হ'ল, তেওঁ উত্তৰ দিলে -

- 'আমি দুৰ্নীতি-পৰায়ণ বিষয়াক বিচাৰি উলিয়াই শাস্তি দিব পৰা নাই, কাৰণ শাস্তি দিবলৈ গৈয়ো আইনৰ নানা প্ৰকাৰৰ বাধাৰ সমুখীন হৈছোঁ।'

গতিকে দেখা গ'ল যে দুৰ্নীতিৰ বিষয়ে তিনিওজন মুখ্যমন্ত্ৰীৰ দৃষ্টিভংগী বেলেগ বেলেগ হ'লেও কামত কিন্তু তিনিওজন একে; অৰ্থাৎ সমাজৰপৰা দুৰ্নীতি দূৰ কৰিবলৈ এজনৰো সাহস আৰু শক্তি নাই। কেৱল অজুহাত বেলেগ বেলেগ। বহুতে কোৱাৰ দৰে এই কথা হয়তো সঁচা যে দুৰ্নীতিৰ সমস্যাটো আচল ৰোগ নহয়, ই কেৱল ৰোগৰ লক্ষণ মাত্ৰ; আচল ৰোগ হ'ল পুঁজিবাদী শোষণ, প্ৰতিযোগিতা আৰু সম্পত্তিৰ লালসাৰ ওপৰত প্ৰতিষ্ঠিত বৰ্তমানৰ সমাজ-ব্যৱস্থা। যদি সমাজ-ব্যৱস্থা সলনি নকৰিলেই দুৰ্নীতি দূৰীভূত কৰাটো অসম্ভৱ, তেনেহ'লে এই সমাজ-ব্যৱস্থাৰ সলনি কৰিবলৈ কোনো এজনেই খোলা-খুলিভাৱে আহ্বান নজনাই কিয়? তাৰ কাৰণে তেওঁলোকে সক্ৰিয়ভাৱে কাম নকৰে কিয়? দ্বিতীয়তে, শ্ৰীশৰৎ চন্দ্ৰ সিংহই কোৱাৰ দৰে যদি দুৰ্নীতি দূৰ কৰাৰ পথত প্ৰচলিত আইন-ব্যৱস্থাই আটাইতকৈ ডাঙৰ বাধা, অৰ্থাৎ আইনৰ সহায়েৰে দোষীক শাস্তি দিয়াৰ আৰু দুৰ্নীতি দূৰ কৰাৰ কোনো উপায় নাই, তেন্তে কি ৰাইজে নিজেই আইন-বহিৰ্ভূত উপায়েৰে দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ বাধ্য হ'ব লাগিব?

দুৰ্নীতি দেশৰ একমাত্ৰ বা প্ৰধানতম সমস্যা নহয়। শ্ৰেণী-শোষণৰ বিলুপ্তি সাধন, সামাজিক ন্যায়-প্ৰতিষ্ঠা, অৰ্থনৈতিক বিকাশ এইবোৰেই হ'ল আমাৰ সমুখত আচল প্ৰত্যাহ্বান। কিন্তু গণতান্ত্ৰিক সমাজবাদৰ পথেৰে (কিংবা আন কথাত ক'বলৈ গ'লে বিপ্লৱৰ পৰিবৰ্তে শান্তিপূৰ্ণ সংস্কাৰ বা বিবৰ্তনৰ পথেৰে) এইবোৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে সৰ্ব-প্ৰথমে প্ৰশাসন-ব্যৱস্থাৰপৰা দুৰ্নীতি দূৰ কৰিবই লাগিব, কিয়নো দুৰ্নীতি সাধাৰণ মানুহৰ বিৰুদ্ধে ৰাজনীতিক, ব্যৱসায়ী আৰু আমোলা-তন্ত্ৰৰ যুটীয়া ষড়যন্ত্ৰৰ বাহিৰে আন একো নহয়। অলপতে সাপ্তাহিক নীলাচলৰ সম্পাদকক দিয়া এটা সাক্ষাৎকাৰত মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহই প্ৰকাৰান্তৰে স্বীকাৰ কৰিছে যে অসমৰ বৰ্তমান অৰ্থনৈতিক সঙ্কটৰ অন্যতম প্ৰধান কাৰণ হ'ল দুৰ্নীতি; ৰাজ্যিক বিদ্যুৎ বোৰ্ড আৰু খাল আৰু মথাউৰি বিভাগৰ নিচিনা বিভিন্ন চৰকাৰী বিভাগবোৰে যদি দুৰ্নীতি অবলম্বন কৰি কোটি কোটি টকাৰ অপ-ব্যৱহাৰ নকৰিলেহেঁতেন তেন্তে অসমৰ অৰ্থনৈতিক অৱস্থা [illegible]ৰ নিচিনা শোচনীয় ৰূপ কেতিয়াও নললেহেঁতেন। কিন্তু শ্ৰীসিংহই কোৱাৰ দৰে যদি এই সকল লোকক তেওঁলোকৰ অতীতৰ অপৰাধৰ কাৰণে শাস্তি দিবলৈ আইনত কোনো উপায় নাই, তেন্তে ভৱিষ্যতেও জানো আইনৰ সহায়েৰে দুৰ্নীতি বন্ধ কৰিব পৰাৰ কিবা নিশ্চয়তা আছে? যিখন আইনক অতীতত কিছুমান মানুহে ফাকি দি ৰাজ্যখনক ধ্বংসৰ মুখলৈ লৈ গৈছিল, ভৱিষ্যতেও সেইখন আইনক ফাকি দি থকা সম্ভৱ নহ'বনে? এডবাৰ্ড গিবনে কোৱাৰ দৰে দুৰ্নীতি হ'ল the most infallible symptom of constitutional liberty, আৰু এই constitutional liberty-ৰ সৰহভাগ সুফল ভোগ কৰি আছে মাত্ৰ জনসাধাৰণৰ শত্ৰুসকলে।

মুঠতে কথা-কাণ্ড দেখি ভাব হৈছে যে বৰ্তমানৰ ব্যৱস্থাত কোনো চৰকাৰেই দুৰ্নীতি দূৰ কৰিব পৰাৰ আশা নাই। ইজনৰ পিচত সিজন মুখ্যমন্ত্ৰীৰ মনোভাব দেখি জি কে চেষ্টাৰটনৰ এষাৰ উক্তি সামান্য সলনি কৰি ক'বৰ মন যায় : "The law has not been tried and found wanting; it has been found difficult and left untried." — কিন্তু আমি নতুন চৰকাৰক সাৱধান কৰি দিব খোজোঁ যে দুৰ্নীতিৰ ক্ষেত্ৰত তেওঁলোকে যদি আগৰ চৰকাৰবোৰৰ দৰেই দুৰ্বল আৰু সহনশীল মনোভাব গ্ৰহণ কৰে আৰু প্ৰগতিশীল কাৰ্য্যসূচী গ্ৰহণ কৰাৰ আগতে সেইবোৰ কাৰ্য্যসূচী সুষ্ঠভাৱে কাৰ্য্যকৰী কৰিব পৰাকৈ ৰাজ্যখনৰ প্ৰশাসন-ব্যৱস্থাক সবল, সেৱা-পৰায়ণ আৰু দুৰ্নীতিমুক্ত কৰি গঢ়ি নোতোলে, তেন্তে তেওঁলোকৰ সকলো সৎ উদ্দেশ্য ব্যৰ্থ হ'ব আৰু জনতাৰ উৎসাহ-উদ্দীপনাৰ জোৱাৰে যেনেকৈ তেওঁলোকক ক্ষমতাৰ স্বৰ্ণ-শিখৰলৈ কঢ়িয়াই আনিছিল, হতাশা আৰু মোহ-ভঙ্গৰ ভাটাৰো তেনেকৈ পুনৰ তেওঁলোকক কলঙ্ক আৰু অখ্যাতিৰ সমুদ্ৰ-গৰ্ভত নিক্ষিপ্ত কৰিব।

সাপ্তাহিক নীলাচল, ১৯১ সংখ্যা ঃ ২৬ জুলাই, ১৯৭২

ভাষাৰ ৰাজনীতি

গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে শিক্ষাৰ মাধ্যম হিচাবে অসমীয়া ভাষা গ্ৰহণ-কৰিছে আৰু বিকল্প ভাষা হিচাবে দহ বছৰৰ কাৰণে ইংৰাজীকো ৰাখিবলৈ সিদ্ধান্ত লৈছে। এই সিদ্ধান্তত বাংলা-ভাষী কাছাৰ জিলাৰ ভীষণ আপত্তি। তেওঁলোকে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হিচাবে বাংলা ভাষাৰো সমান মৰ্য্যাদা বিচাৰে। এই বিষয়টো সম্প্ৰতি ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। গতিকে সেই সম্পৰ্কে এতিয়া কোনো মন্তব্য কৰাটো সমীচীন বা সম্ভৱ নহয়।

কিন্তু ভাষাৰ প্ৰশ্নটোক কেন্দ্ৰ কৰি কাছাৰত সম্প্ৰতি যি উত্তেজনাৰ সৃষ্টি হৈছে, তাৰ এটা ৰাজনৈতিক দিশ আছে। কাছাৰৰ বাংলাভাষী জনসাধাৰণ আৰু তেওঁলোকৰ নেতাসকলে দাবী কৰিছে যে বাংলা ভাষাৰ সমৰ্থনত সেই জিলাত সম্পূৰ্ণ ঐক্য বিৰাজ কৰিছে আৰু প্ৰয়োজন হ'লে কাছাৰৰ চৈধ্যজন এম-এল-এই সামূহিকভাৱে পদত্যাগ কৰিবলৈকো কুণ্ঠিত নহ'ব। কিন্তু তেওঁলোকৰ এই দাবী সঁচা নহয়। দেশ বিভাজনৰ সময়ত পূৰ্ব-বঙ্গৰপৰা ভগনীয়া হৈ অহা বাঙালীসকলেই আজি কাছাৰত প্ৰাধান্য বিস্তাৰ কৰিছে যদিও তাত যথেষ্টসংখ্যক মণিপুৰী, বিষ্ণুপুৰীয়া আৰু হিন্দী-ভাষী লোকো আছে। কাছাৰৰ আদিম অধিবাসীসকলে অৱস্থাৰ হেঁচাত পৰি বাংলা ভাষা আৰু সংস্কৃতি গলাধঃকৰণ কৰিব লগা হৈছে যদিও তেওঁলোকৰ মনতো কিছু ক্ষোভ আৰু অসন্তুষ্টি পুঞ্জীভূত হৈ আছে। কাছাৰৰ এই বুজন সংখ্যক অবাঙালী লোকসকলে বাংলা ভাষা নিবিচাৰে। বৰং তেওঁলোকে দ্বিতীয় বিকল্প ভাষা হিচাবে অসমীয়া ভাষাহে বিচাৰিছে। কিছু দিনৰ আগতে বাংলা ভাষাৰ দাবীত আন্দোলন কৰিবৰ কাৰণে প্ৰস্তুতি চলাবলৈ কাছাৰত এখন সৰ্বদলীয় সন্মিলন বহিছিল। সেই সন্মিলনে দাবী কৰিছিল যে গুৱাহাটী বিশ্ববিদ্যালয়ে বাংলা ভাষাকো শিক্ষাৰ মাধ্যম হিচাবে স্বীকৃতি দিবলৈ সন্মত নহ'লে কাছাৰৰ চৈধ্যজন এম-এল-এই সামূহিকভাৱে পদত্যাগ কৰিব লাগিব। কিন্তু বিশ্বস্ত সূত্ৰে জানিব পৰা গৈছে যে অন্ততঃ দুজন এম-এল-এই সিদ্ধান্ত মানি লবলৈ সন্মত হোৱা নাই। তেওঁলোক হ'ল বিধানসভাত কংগ্ৰেছ দলৰ ডেপুটি চীফ্ হুইপ্ শ্ৰীবিশ্বনাথ উপাধ্যায় আৰু প্ৰাক্তন ৰাজ্যমন্ত্ৰী শ্ৰীজগন্নাথ সিংহ। উল্লেখযোগ্য যে এওঁলোক দুয়োজনেই কাছাৰৰ হিন্দী-ভাষী সমাজৰ মুখ-পাত্ৰ। কাছাৰত হিন্দী মাধ্যমৰ ২৬ খন হাইস্কুল, ২৪ খন এম ই স্কুল আৰু ৭৩ খন এল পি স্কুল আছে। এই আটাইবোৰ স্কুলত দ্বিতীয় ভাষা হিচাবে তেওঁলোকে অসমীয়া ভাষা প্ৰচলন কৰিবলৈ সিদ্ধান্ত লৈছে আৰু অসমীয়া শিক্ষক বিচাৰি তেওঁলোকে অসম চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰি আহিছে। কিন্তু অসম চৰকাৰে তেওঁলোকৰ সেই ন্যায়সঙ্গত দাবীৰ প্ৰতি এতিয়ালৈকে অকণো কৰ্ণপাত কৰা নাই। সি যি কি নহওক, এই বাস্তৱ সত্যটো সকলোৱেই জানি থোৱা উচিত যে কাছাৰৰ বিভিন্ন ভাষা-গোষ্ঠীৰ ৰাজনৈতিক নেতাসকলৰ মাজত তীব্ৰ মতৰৰ সূত্ৰপাত হৈছে আৰু কাছাৰ কংগ্ৰেছে এটা ঐক্যবদ্ধ প্ৰেছাৰ-গ্ৰুপ হিচাবে কাম কৰাৰ শক্তি হেৰুৱাই পেলাইছে। অসমৰ ৰাজনীতিত ইয়াৰ প্ৰতিক্ৰিয়া সুদূৰ প্ৰসাৰী হ'ব পাৰে।

শিৱসাগৰৰ শিক্ষা

টংলাৰ ৰাজনৈতিক পৰাজয়ৰ পিচত শিবসাগৰ নগৰ পালিকাৰ নিৰ্বাচনত অসম কংগ্ৰেছৰ ক্ষমতাসীন দলটোৱে দ্বিতীয় বৃহৎ পৰাজয়ৰ সমুখীন হৈছে। এই নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থীসকলে কংগ্ৰেছ প্ৰাৰ্থীক পৰাজিত কৰি উল্লেখযোগ্য সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। টংলাৰ পৰাজয়তকৈয়ো শিবসাগৰ নগৰ পালিকাৰ নিৰ্বাচনত কংগ্ৰেছৰ পৰাজয় অধিক তাৎপৰ্য্যপূৰ্ণ আৰু সুদূৰ-প্ৰসাৰী ইঙ্গিত-বাহক। ঘাইকৈ দুটা কাৰণত এই পৰাজয় অধিক তাৎপৰ্য্যপূৰ্ণ বুলি বিবেচিত হ'ব পাৰে। প্ৰথমতঃ অসমৰ সকলো জিলা কংগ্ৰেছৰ ভিতৰত শিৱসাগৰৰ জিলা কংগ্ৰেছেই আছিল মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহৰ আটাইতকৈ উগ্ৰ সমৰ্থক। অসম কংগ্ৰেছৰ যি যুৱক-শক্তিয়ে শ্ৰীসিংহৰ নেতৃত্বত পুৰণি নেতৃত্বৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল আৰু অৱশেষত সেই বিদ্ৰোহক সাফল্য-মণ্ডিত কৰি ৰাজনৈতিক ক্ষমতা দখল কৰিবলৈ সমৰ্থ হৈছিল, সেই যুৱক-শক্তিৰ কেইজনমান প্ৰধান নেতা আছিল শিবসাগৰ মহকুমাৰ অধিবাসী। এই কেইজন যুৱক-নেতায়েই এইবাৰ শিবসাগৰ নগৰ পালিকাৰ নিৰ্বাচনৰ সমস্ত দায়িত্ব গ্ৰহণ কৰিছিল। বিশ্বস্ত সূত্ৰে জানিবলৈ পোৱা মতে এই যুৱক নেতাকেইজনে আনকি প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ পৰামৰ্শকো অগ্ৰাহ্য কৰি সকলো সিদ্ধান্ত স্বাধীনভাবে গ্ৰহণ কৰিছিল আৰু কংগ্ৰেছক জয়যুক্ত কৰাৰ সমস্ত দায়িত্ব কান্ধ পাতি লৈছিল। এনে অৱস্থাত কংগ্ৰেছৰ এই শোচনীয় পৰাজয়ক এই যুৱক নেতাকেইজনৰ প্ৰতি ৰাজহুৱা অনাস্থাৰ বাহিৰে আন একো বুলি গ্ৰহণ কৰাৰ উপায় নাই। তাৰ লগে লগে ই মুখ্যমন্ত্ৰী শ্ৰীসিংহৰ প্ৰতিও এটা পৰোক্ষ সাৱধান বাণী। এই পৰাজয়ৰ দ্বিতীয় তাৎপৰ্য্য হ'ল এয়েই যে যোৱা সাধাৰণ নিৰ্বাচনৰ পিচত প্ৰথমবাৰৰ কাৰণে অনুষ্ঠিত এটা ৰাজহুৱা নিৰ্বাচনত ৰাইজৰ ৰায় কংগ্ৰেছৰ বিপক্ষে গ'ল আৰু তাৰদ্বাৰা নতুন চৰকাৰৰ যোৱা তিনিমাহৰ কাৰ্য্য-কলাপ সম্পৰ্কে ৰাইজৰ মনোভাব বা মূল্যায়ন ব্যক্ত হ'ল। শিবসাগৰ মিউনিচিপেলিটিৰ বুৰঞ্জীত কংগ্ৰেছৰ এয়েই প্ৰথম পৰাজয়। জনা গৈছে যে শিৱসাগৰৰ নিৰ্বাচনত ৰাইজৰ প্ৰতিনিধিসকলে চৰকাৰী কৰ্ম-কৰ্তাসকলক বিশ্বাস নকৰি নিজেই দিনে ৰাতিয়ে বেলট বাকচবোৰ পহৰা দি আছিল। চৰকাৰী শাসন-যন্ত্ৰৰ প্ৰতি ৰাইজৰ এই বিপুল অবিশ্বাস আৰু সন্দেহ গণতন্ত্ৰৰ প্ৰতি এটা ডাঙৰ বিপদ সঙ্কেতেই মাত্ৰ নহয়, ই নতুন চৰকাৰ আৰু নতুন কংগ্ৰেছী নেতাসকলৰ প্ৰতিও এটা নিৰ্ভুল নৈতিক ভৰ্ৎসনা। অসম কংগ্ৰেছৰ গভীৰ আত্ম-সমালোচনাৰ সময় আহিছে। তেওঁলোকে যদি অতি সোনকালে নিজৰ বিনাশ মাতি আনিব নোখোজে, তেন্তে তেওঁলোকে বাতৰি কাকতৰ নিৰপেক্ষ আৰু যুক্তিবাদী সমালোচনাৰ প্ৰতি অসহিষ্ণু হ'বলৈ এৰি আন্তৰিকভাৱে আত্ম-সমালোচনাত প্ৰবৃত্ত হ'ব লাগিব। ৰোগৰ লক্ষণবোৰ এটা এটাকৈ ফুটি উঠিবলৈ আৰম্ভ কৰিছে, দূৰদৰ্শী আৰু বুদ্ধিমান মানুহে ৰোগে শিপা পুতি লবলৈ পোৱাৰ আগতেই প্ৰাথমিক লক্ষণ দেখা পোৱা মাত্ৰে চিকিৎসা আৰম্ভ কৰে।

মইনুল হক চৌধুৰীৰ উত্থান আৰু পতন

মধ্যবৰ্তী নিৰ্বাচনত লোকসভালৈ নিৰ্বাচিত হোৱাৰ পিচত মইনুল হক চৌধুৰী দিল্লীলৈ গৈ কথকদিন আলি আহমদ চাহাবৰ ঘৰত দুদিনমান আলহী হৈ আছিল। তেতিয়া দিল্লীত নতুন কেন্দ্ৰীয় মন্ত্ৰীসভা গঠনৰ প্ৰস্তুতি চলি আছে। এনেতে এদিন গধূলি পৰত প্ৰধান মন্ত্ৰীয়ে হক চৌধুৰীক মাতি পঠালে। অসীম কৌতূহলত উদগ্ৰীৱ হৈ হক চৌধুৰী প্ৰধান মন্ত্ৰীৰ ঘৰলৈ গ'ল। তেওঁলোকে দুয়োৰে কথা-বাৰ্তা মাত্ৰ পাঁচ মিনিটমান সময় চলিছিল। কিন্তু সেই পাঁচ মিনিটৰ ভিতৰতে হক চৌধুৰীয়ে প্ৰধান মন্ত্ৰীৰ মুখত এনে এষাৰ

অভাৱনীয় কথা শুনিবলৈ পালে — যিষাৰ কথা শুনি কেই মুহূৰ্তমানৰ কাৰণে তেওঁৰ সমস্ত চেতনা আনন্দৰ প্ৰবল উত্তেজনাত অসাৰ আৰু নিস্পন্দ হৈ পৰিল। প্ৰধানমন্ত্ৰীয়ে তেওঁলৈ কেন্দ্ৰীয় মন্ত্ৰীসভাত মন্ত্ৰীপদ আগবঢ়াইছে। কেৱল সেয়েই নহয়, তেওঁক দিব খোজা হৈছে পৰম লোভনীয় আৰু বহুজন-বাঞ্ছিত ঔদ্যোগিক উন্নয়ন মন্ত্ৰী দপ্তৰ!

আনন্দৰ উত্তেজনাত কঁপি কঁপি হক চৌধুৰীয়ে যেতিয়া প্ৰধান মন্ত্ৰীৰপৰা বিদায় লৈ নিজৰ বাসস্থানলৈ ঘূৰি আহিল, সেই চমু বাটছোৱা অতিক্ৰম কৰা সময়খিনিয়েই বোধহয় আছিল তেওঁৰ জীৱনৰ মধুৰতম সময়। ইমান সোনকালে ইমান গুৰুত্বপূৰ্ণ মন্ত্ৰীদপ্তৰৰ দায়িত্ব পাই কেন্দ্ৰীয় মন্ত্ৰী হ'ব বুলি তেওঁ সপোনতো ভবা নাছিল। প্ৰধান মন্ত্ৰীয়ে কি ভাবি বা কি হিচাব কৰি হক চৌধুৰীক মন্ত্ৰী নিয়োগ কৰিছিল সেই কথা বোধহয় চিৰকাল ৰহস্যাবৃত হৈ ৰব। সি যি কি নহওক, মইনুল হক চৌধুৰীৰ উত্থান যেনেকৈ আছিল প্ৰায় অপ্ৰত্যাশিত আৰু কিছু পৰিমাণে ৰহস্যাবৃত, মাত্ৰ যোল মাহ কেন্দ্ৰীয় মন্ত্ৰী হৈ থকাৰ পিচতে তেওঁৰ আকস্মিক পতন কিন্তু সিমানে অপ্ৰত্যাশিত আৰু বিস্ময়কৰ নাছিল। অৱশ্যে ৰাজনীতিত উত্থান-পতন আছেই, আৰু পতনৰ সময়ত কাৰো প্ৰতি কটূক্তি বা ব্যঙ্গোক্তি কৰাটো শিষ্টাচাৰ-সম্মত কথা নহয়। এই গোটেই ঘটনাটোত যদি কিবা শিক্ষণীয় বা মন্তব্য-যোগ্য কথা আছে, সেইটো হ'ল প্ৰধান মন্ত্ৰীৰ অতি প্ৰশংসনীয় দৃঢ়তা আৰু নিৰ্মমতা — অৰ্থাৎ ruthless ness। তেওঁৰ এই নৈৰ্ব্যক্তিক নিৰ্মমতাৰ পৰিচয় আমি ইতিমধ্যে আৰু কেইবাবাৰো পাইছোঁ। যেতিয়াই কোনো সহযোগীৰ যোগ্যতা বা সততা সম্পৰ্কে তেওঁৰ মনত সন্দেহৰ উদ্ৰেক হৈছে, তেতিয়াই সেই সহযোগীক বিদায় দিবলৈ তেওঁ তিল-মাত্ৰ কুণ্ঠাবোধ কৰা নাই। নিজৰ লক্ষ্যৰ প্ৰতি আনুগত্যতকৈ ব্যক্তিগত আনুগত্যক তেওঁ কেতিয়াও উচ্চস্থান দিয়া নাই।

মইনুল হক চৌধুৰীৰ ভাগ্য বিপৰ্য্যয়ৰ ফলত অসমৰ ৰাজনীতিতো লাহে লাহে নানা ধৰণৰ প্ৰতিক্ৰিয়াই দেখা দিব। ৰাজনীতিত বিপদৰ বন্ধু কোনো নাই। অসমত যিসকল লোকে প্ৰধান মন্ত্ৰীৰ কৃপাধন্য হক চৌধুৰীৰ কথা মতে উঠা-বহা কৰিছিল, এতিয়া প্ৰধান মন্ত্ৰীৰ কৃপাৰ পৰা বঞ্চিত হোৱাৰ পিচত হক চৌধুৰীক সেইসকল লোকে কুষ্ঠ ৰোগীৰ দৰে পৰিহাৰ কৰি চলিবলৈ চেষ্টা কৰিব। (অৱশ্যে আকৌ কেতিয়াবা বিধাতা তেওঁৰ প্ৰতি সুপ্ৰসন্ন হ'লে সুকীয়া কথা)। আগৰ বন্ধু এতিয়া শত্ৰু হ'ব। শত্ৰু বন্ধু হ'ব। কাছাৰৰ group alignment-ত গোষ্ঠী-বন্ধনে নতুন ৰূপ লব। হক চৌধুৰীৰ তৰ্জন-গৰ্জন চেপেটা মাৰি শুই থকা লোকসকলে এতিয়া নতুনকৈ সাহ গোটাই সমুখৰ শাৰীলৈ আহিবলৈ চেষ্টা কৰিব আৰু হক চৌধুৰীৰ স্নেহাশ্ৰিত লোকসকলক নানা প্ৰকাৰৰ আঘাতেৰে ধৰাশায়ী কৰিবলৈ চেষ্টা কৰিব। অসমৰ ৰাজনীতিত এই সকলোবোৰ ঘটনাৰ শেষ পৰিণাম কি হ'ব সেই কথা কেৱল সময়েহে ক'ব পাৰিব।

সাপ্তাহিক নীলাচল, ১৯২ সংখ্যা : ২ আগষ্ট, ১৯৭২

এড্ হক্ ৰাজনীতি

Tact consists in knowing how for we may go too far.
– Jean Coctean

যোৱা কেইমাহমান ধৰি অসমত এড্ হক্ ৰাজনীতিৰ ৰাজত্ব চলিছে। প্ৰথমতে যোৱা জানুৱাৰী মাহত অসম প্ৰদেশ কংগ্ৰেছ ভাঙি দি তাৰ ঠাইত এড্ হক্ প্ৰদেশ কংগ্ৰেছ স্থাপন কৰা হ'ল। আনকি মাত্ৰ এমাহৰ কাৰণে মুখ্য-মন্ত্ৰীও হ'ল এড্ হক্ মুখ্যমন্ত্ৰী। নিৰ্বাচনৰ পিচত এড্ হক্ প্ৰদেশ কংগ্ৰেছৰ এড্ হক্ সভাপতি আৰু এড্ হক্ সাধাৰণ সম্পাদকে পদ-ত্যাগ কৰাত তেওঁলোকৰ ঠাইত পুনৰ এড্ হক্ সভাপতি আৰু এড্ হক্ সম্পাদক নিয়োগ কৰা হ'ল। এতিয়া আকৌ কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচনলৈ মাত্ৰ চাৰিমাহ বাকী থাকোতে অসমৰ যোলখন জিলা কংগ্ৰেছ ভাঙি দি তাৰ ঠাইত এড্ হক্ জিলা কংগ্ৰেছ স্থাপন কৰা হৈছে।

এড্ হক্ শব্দৰ অভিধান-গত অৰ্থ হ'ল – arranged for this purpose, অৰ্থাৎ বিশেষ উদ্দেশ্যৰ কাৰণে বিশেষ ব্যৱস্থা। সাধাৰণ নিৰ্বাচনৰ মাত্ৰ এমাহৰ আগতে এড্ হক্ প্ৰদেশ কংগ্ৰেছ স্থাপন কৰাৰ মাত্ৰ এটাই উদ্দেশ্য আছিল : সেইটো হৈছে অসম কংগ্ৰেছৰ এটা গোষ্ঠীক ক্ষমতাৰ পৰা অপসাৰিত কৰা আন এটা গোষ্ঠীক তাৰ ঠাইত প্ৰতিষ্ঠা কৰা। পুৰণি কংগ্ৰেছ ভাঙি নিদিলে সেই কংগ্ৰেছে পাতি দিয়া ইলেকচন বোৰ্ডখনো ভাঙিব নোৱাৰি আৰু তেতিয়াহলে শ্ৰীসিংহৰ উপ-দলটোৱে যথেষ্ট সংখ্যক মনোনয়ন লাভ কৰি চৰকাৰ গঠন কৰিব পৰাৰো কোনো আশা নাথাকে। কথাৰ মেৰ-পাক এৰি চিধা-চিধিকৈ ক'বলৈ হ'লে এড্ হক্ কংগ্ৰেছ স্থাপন কৰাৰ একমাত্ৰ উদ্দেশ্য আছিল শ্ৰীসিংহৰ নেতৃত্বাধীন দলটোক ক্ষমতালৈ অনা। চৌধুৰী মন্ত্ৰী-সভাৰ একাধিক লোক ব্যক্তিগতভাৱে অতিশয় জনপ্ৰিয় আৰু তেওঁলোকৰ দক্ষতা সন্দেহাতীত হ'লেও সামগ্ৰিকভাৱে গোটেই মন্ত্ৰী-সভাখন জনসাধাৰণৰ চকুত হৈ পৰিছিল স্থিতাবস্থা আৰু প্ৰতিক্ৰিয়াশীলতাৰ প্ৰতীক; আনহাতে অসম কংগ্ৰেছত নতুনকৈ মূৰ দাঙি উঠা শ্ৰীসিংহৰ দলটো জনসাধাৰণৰ দৃষ্টিত প্ৰতিভাত হৈ উঠিছিল নতুনৰ অগ্ৰদূত ৰূপে, তাৰুণ্যৰ প্ৰতীক ৰূপে, পৰিবৰ্তনৰ প্ৰবক্তা ৰূপে। গতিকে প্ৰদেশ কংগ্ৰেছ ভাঙি দি তাৰ ঠাইত এড্ হক্ কংগ্ৰেছ স্থাপন কৰাৰ কাৰ্য্যক অ-গণতান্ত্ৰিক আৰু অসৎ উদ্দেশ্য-প্ৰণোদিত বুলি কোনো কোনো মহলে শক্তিশালী প্ৰচাৰ-কাৰ্য্য চলোৱা সত্বেও সাধাৰণ নিৰ্বাচনৰ ফলাফলৰ পৰা দেখা গ'ল যে যি বিশেষ উদ্দেশ্যৰে এড্ হক্ কংগ্ৰেছ স্থাপন কৰা হৈছিল সেই উদ্দেশ্যক জনসাধাৰণে সমৰ্থন কৰিছে।

প্ৰদেশ কংগ্ৰেছ এড্ হক্ হোৱাৰ পিচতেই জিলা কংগ্ৰেছবোৰো এড্ হক্ কৰাৰ কথা আছিল বা কৰাটো উচিতো আছিল। কিন্তু নানা কৌশল-গত কাৰণত সেইটো তেতিয়া কৰা নহ'ল। সাধাৰণ নিৰ্বাচনৰ পিচত নতুন চৰকাৰ গঠন হোৱাৰ পৰা যোৱা তিনিমাহ ধৰি নানা মন্ত্ৰণা আৰু হিচাব-কিতাপ কৰি কৰি অৱশেষত যোৱা সপ্তাহত অসমৰ যোলখন জিলা কংগ্ৰেছ ভাঙি দি সেইবোৰৰ ঠাইত এড্ হক্ জিলা কংগ্ৰেছ গঠন কৰি দিয়া হৈছে। এইখিনিতে বিশেষভাৱে মন কৰিবলগীয়া কথা এয়েই যে কেইবাখনো জিলা কংগ্ৰেছৰ গাত হাত নিদি সেইবোৰক অপৰিবৰ্তিত অৱস্থাতেই ৰখা হৈছে।

ৰাজ্যখনৰ সৰ্ব-বৃহৎ আৰু শাসানাধীস্থ দল হিচাবে কংগ্ৰেছৰ প্ৰতিটো গতি-বিধিয়েই জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰে বা কৰা উচিত। এড্ হক্ জিলা কংগ্ৰেছৰ গঠন-প্ৰক্ৰিয়া ঘাইকৈ দুটা কাৰণত আমি সূক্ষ্মভাৱে পৰীক্ষা কৰি চোৱা উচিত। প্ৰথমতঃ ইয়াৰ মাজেদি অসম কংগ্ৰেছৰ নতুন নেতাসকলৰ ৰাজনৈতিক দৃষ্টি-ভঙ্গী আৰু ৰণ-কৌশল প্ৰতিফলিত হৈ উঠিছে। দ্বিতীয়তে, যোৱা সাধাৰণ নিৰ্বাচনত শ্ৰীসিংহৰ দলটোৰ বিৰাটা বিজয়ৰ পিচত অসম কংগ্ৰেছৰ উপদলীয় ৰাজনীতি বা ক্ষমতাৰ প্ৰতিদ্বন্দ্বিতাই কেনে ৰূপ লৈছে তাৰ কিছু আভাসো এড্ হক্ জিলা কংগ্ৰেছবোৰৰ গঠনৰ মাজত ফুটি উঠিছে।

এড্ হক্ জিলা কংগ্ৰেছ গঠন হোৱাৰ পিচত সংশ্লিষ্ট মহলৰ প্ৰতিক্ৰিয়া কাকতে-পত্ৰই অৰ্থাৎ ৰাজহুৱাভাৱে বাঁইজৰ চকুত পৰা নাই। কিন্তু মৌৰ বাঁহত ফৰ্মুটি পৰিলে মৌ-মাখিবোৰে জাকি মাৰি গুঞ্জন কৰি উঠাৰ দৰে কংগ্ৰেছ মহলতো চাৰিওফালে নানা আলোচনা-সমালোচনাৰ গুঞ্জন উঠিছে। জনা লোকে জানে যে বন্ধ কোঠালীৰ এই ফুচ্-ফুচিয়া মেলবোৰেই ৰাজনীতিৰ গতি-পথ বা ভাগ্য নিৰ্ধাৰিত কৰে; সেই কাৰণে বুদ্ধিমান লোকে ৰাজনীতিজ্ঞৰ ৰাজহুৱা প্ৰতিক্ৰিয়া বা বিবৃতিতকৈ এনেবোৰ ফুচ্‌ফুচিয়া মেলৰ প্ৰতি বেছিকৈ কাণ পাতে। উইল ডুৰাণ্টে কৈছিল যে ফৰাচী বিপ্লৱৰ বিষয়ে লিখা পাণ্ডিত্য-পূৰ্ণ বিৰাট গ্ৰন্থবোৰত ফৰাচী-বিপ্লৱৰ আচল কাৰণবোৰ জনা নাযায়; তাৰ আচল কাৰণবোৰ জানিবলৈ হ'লে ফৰাচী-বিপ্লৱৰ আগে আগে প্ৰায় এশ বছৰ ধৰি ইউৰোপৰ ঘৰে ঘৰে, হাটে-বজাৰে আৰু দোকানে-পোহাৰে হোৱা ফুচ্‌ফুচিয়া মেলত হোৱা আলোচনাবোৰৰ বিষয়-বস্তু জানিব লাগিব। মুঠতে ৰাজনীতিত ফুচ্‌ফুচিয়া গোপন মেল বা ব্যক্তিগত আলোচনাই এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এড্ হক্ জিলা কংগ্ৰেছৰ প্ৰতিক্ৰিয়া আৰু তাৎপৰ্য্য জানিবৰ কাৰণে আমি ঘাইকৈ এই ফুচ্‌ফুচিয়া মেলবোৰৰ গুঞ্জন-ধ্বনিৰ ওপৰতে নিৰ্ভৰ কৰিছো।

অহা ডিচেম্বৰ মাহত কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচন অনুষ্ঠিত হ'ব। তাৰ মাত্ৰ চাৰি মাহৰ আগতে এড্ হক্ জিলা কংগ্ৰেছ গঠন কৰাৰ উদ্দেশ্য কি? যোৱা জানুৱাৰী মাহত প্ৰদেশ কংগ্ৰেছে এড্ হক্ কৰাৰ উদ্দেশ্য আছিল ৰাজ্যৰ শাসন-ক্ষমতা দখল কৰা। এতিয়া জিলা কংগ্ৰেছবোৰ এড্ হক্ কৰাৰ উদ্দেশ্য হ'ল ডিচেম্বৰ মাহৰ নিৰ্বাচনত প্ৰদেশ কংগ্ৰেছৰ সংগঠনটো দখল কৰা। এড্ হক্ নামীয় এই গোটেই বস্তুটোৱেই অতিশয় সন্দেহজনক আৰু অ-গণতান্ত্ৰিক; কিন্তু কংগ্ৰেছ দলৰ মাজত যি ধৰণৰ আভ্যন্তৰীণ গণতন্ত্ৰ প্ৰচলিত আছে তাৰ তুলনাত এড্ হক্‌ৰ নীতিক বেয়া বুলিবলৈ যোৱাটো Tweedle-dum আৰু Tweedle-deeৰ মাজত পাৰ্থক্য বিচাৰ কৰাৰ দৰে এটা দুৰুহ আৰু সাধ্যাতীত কাম হ'ব। সি যি কি নহওক, যদি এটা মহৎ লক্ষ্য আগত ৰাখি ছলে-বলে-কৌশলে প্ৰদেশ কংগ্ৰেছ দখল কৰিবৰ মন কৰি এড্ হক্ জিলা কংগ্ৰেছবোৰ গঠন কৰা হৈছে, তেতিয়া হ'লে বাৰু সদ্যহতে আমি নিজৰ মুখবোৰ বন্ধ কৰিয়েই ৰাখিলো; কিন্তু কংগ্ৰেছৰ নতুন নেতাসকলৰ লক্ষ্য সিমান মহৎ বুলি ক'ব পাৰিনে?

নতুন এড্ হক্ জিলা কংগ্ৰেছবোৰৰ গাঁথনি বিশ্লেষণ কৰি চালে তিনিটা কথা প্ৰথমেই চকুত পৰে- (১) যোৱা সাধাৰণ নিৰ্বাচনত দলীয় প্ৰাৰ্থীৰ বিৰুদ্ধে সক্ৰিয় আৰু প্ৰকাশ্যভাৱে কাম কৰা বুলি যিসকল লোকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছিল তেনেকুৱা বহুত লোককেই এড্ হক্ জিলা কংগ্ৰেছত গুৰুত্বপূৰ্ণ বিষয়-বাব দিয়া হৈছে; তেনেকুৱা লোকৰ ভিতৰত বহুতো বহু-শ্ৰুত চিণ্ডিকেট-পন্থী আৰু প্ৰতিক্ৰিয়া-শীল লোকো আছে; (২) এড্ হক্ জিলা কংগ্ৰেছবোৰ এনেভাৱে গঠন কৰা হৈছে, য'ত বাঘে-ছাগে একে ঘাটতে পানী খাবলৈ বাধ্য হ'ব, অৰ্থাৎ স্পষ্ট ভাৱেই দুটা শত্ৰু-শিবিৰত বিভক্ত লোকসকলক জোৰকৈ একত্ৰিত কৰি এড্ হক্ জিলা কংগ্ৰেছবোৰ গঠন কৰা হৈছে; এনে কৰাৰ একমাত্ৰ উদ্দেশ্য হ'ল — কৌটিল্য-কথিত ভেদ-নীতিৰ প্ৰয়োগৰ দ্বাৰা জিলা পৰ্য্যায়ৰ সংগঠন আৰু নেতাসকলক দুৰ্বল কৰি ৰাখি ৰাজ্যিক নেতা কেইজনৰ হাতত সকলো শক্তি পুঞ্জীভূত কৰা; (৩) কেইখনমান জিলা কংগ্ৰেছ (যথা — তেজপুৰ) অপৰিবৰ্তিত ৰখা হৈছে, আৰু কাৰ্য্য-কাৰণ-সম্পৰ্ক বিশ্লেষণ কৰি চাই দেখা যায় যে এই কেইখন জিলা কংগ্ৰেছৰ গাত হাত নিদিয়াৰ

মূলতে কোনো আদর্শ-গত কাৰণ নাই, আছে মাত্র ক্ষমতাৰ ৰাজনীতিৰ নানা কৌশলগত বিবেচনা আৰু হিচাব-নিকাচ। উদাহৰণ স্বৰূপে, ইন্দিৰা চিণ্ডিকেটৰ যুদ্ধৰ সময়ত তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতিজনে অসমত ইন্দিৰা-পন্থী সকলৰ সেনাপতিত্ব কৰিছিল বুলি বিশ্বাস কৰিবলৈ কোনো প্রমাণ নাই; তথাপি ঘাইকৈ কেৱল তেওঁৰ মুখলৈ চায়েই তেজপুৰ কংগ্ৰেছ এড্ হক্ কৰা নহ'ল। অন্ততঃ অসম কংগ্ৰেছৰ এজন শীৰ্ষস্থানীয় বিষয়-ববীয়াই আমাক তেনেকুৰা ইংগিতেই দিছে।

এই গোটেইবোৰ কথা বিচাৰ-বিশ্লেষণ কৰি মাত্র এটা সিদ্ধান্তলৈ আহিব পাৰি : সেইটো হৈছে এই যে জিলা কংগ্ৰেছবোৰ এড্ হক্ ভিত্তিত গঠন কৰাৰ মূলতে কোনো এটা সু-স্পষ্ট আদর্শ বা নীতিয়ে কাম কৰা নাই; যদি কিবা নীতিয়ে কাম কৰিছে সেইটো হ'ল Nothing is unfare in love and war– অর্থাৎ প্রেম আৰু যুদ্ধৰ ক্ষেত্রত কোনো কামেই নীতি-বিৰুদ্ধ নহয়। কোৱা বাহুল্য মাথোন যে এই যুদ্ধখন হ'ল প্রদেশ কংগ্ৰেছৰ প্রধান দুর্গটো দখল কৰাৰ যুদ্ধ। সেই উদ্দেশ্য সমুখত ৰাখি দুয়োটা প্রধান শিবিৰেই ইতিমধ্যে প্রাথমিক প্রস্তুতিৰ কামত লাগি গৈছে। কিন্তু পৰিতাপৰ কথা এয়েই যে আদৰ্শৰ নামত ১৯৬৯ চনত কংগ্ৰেছৰ বিভাজন হ'ল যদিও নতুন কংগ্ৰেছৰ কাম-কাজো প্রাচীন পংকিল পথেৰেই চলি আছে। কংগ্ৰেছৰ ক্ষমতাৰ ৰাজনীতিৰ বহু নিন্দিত আৰু চিৰাচৰিত কৌশলবোৰৰ ভিতৰত অন্যতম হ'ল একোজন মানুহেই বহু টকা খৰচ কৰি ভুৱা সদস্য ভর্তি কৰা। যি পক্ষই যিমান বেছি টকা খৰচ কৰি ভুৱা সদস্য ভর্তি কৰিব পাৰে, সেই পক্ষই কংগ্ৰেছৰ দুর্গটো দখল কৰিব পৰাৰ সম্ভাৱনা সিমান বেছি হয়। সম্প্রতি যিসকল লোক এড্ হক্ জিলা কংগ্ৰেছত স্থান পোৱাৰপৰা বঞ্চিত হ'ল, তেওঁলোকে আপত্তি কৰিছে যে তেওঁলোকক সমূলি বঞ্চিত কৰি সদস্য-ভৰ্তিৰ বহীবোৰ কেৱল তেওঁলোকৰ বিৰুদ্ধ-বাদী লোকসকলকহে দিয়া হৈছে। অৱশ্যে এই বিষয়েও কোনো সন্দেহ নাই যে তেওঁলোক ক্ষমতাত থকা হ'লে তেওঁলোকেও ঠিক তাকেই কৰিলেহেঁতেন। কংগ্ৰেছত চিৰকাল এইবোৰ কৌশলেই চলি আহিছে। কিন্তু বহুতে আশা কৰিছিল যে কংগ্ৰেছৰ এটা ডাঙৰ সংস্কাৰ হৈ যোৱাৰ পিচত ই টকাৰ জোৰেৰে ক্ষমতা কিনাৰ নিন্দনীয় পথ ত্যাগ কৰি নিজৰ কামৰ দ্বাৰা আৰু আদৰ্শৰ জোৰেৰে জন-সমর্থন লাভ কৰিবলৈ চেষ্টা কৰিব। কিন্তু সেই আশা ভাগি চুৰমাৰ হৈ যোৱাৰ উপক্রম হৈছে।

এটা কথা ঠিক যে কংগ্ৰেছ হাই কমাণ্ডে হস্তক্ষেপ নকৰিলে অহা ডিচেম্বৰ মাহত অসম কংগ্ৰেছৰ দুটা উপ-দলৰ মাজত প্রচণ্ড যুদ্ধ হ'ব। সেই যুদ্ধত যদি বর্তমানৰ চৰকাৰী পক্ষ জয়ী হয়, তেনেহ'লে খুব সম্ভৱ অহা চাৰি বছৰৰ কাৰণে তেওঁলোকৰ ৰাজ-পাট নিষ্কণ্টক। যদি আনটো পক্ষ জয়ী হয়, তেন্তে সিংহ-মন্ত্রীসভাৰ অস্তিত্ব বিপদাপন্ন নহলেও তেওঁলোকে নানা দুর্যোগ আৰু ধুমুহা অতিক্রম কৰিব লগা হব পাৰে। এড্ হক্ জিলা কংগ্ৰেছ গঠন সেই আগন্তুক কুৰুক্ষেত্ৰ-যুদ্ধৰেই উদ্যোগ-পৰ্ব মাত্র।

ঠিকাদাৰ আৰু এম. এল. এ.

অসম বিধান সভাৰ বিশিষ্ট কংগ্ৰেছী সদস্যই আমাক নিজ মুখে কোৱা কথা। গড়কাপ্তানী বিভাগৰ এচ. ডি. ও. এজনক এঠাইৰ পৰা আন ঠাইলৈ বদলি কৰা হৈছিল। বিষয়াজনৰ অবিৰাম খাটনিত পৰি এম. এল. এ. ডাঙৰীয়াই বদলিৰ আদেশটো বন্ধ কৰিবলৈ মন্ত্রীক অনুৰোধ কৰিলে। এম. এল. এ. ডাঙৰীয়াৰ অনুৰোধ ৰক্ষা কৰিবলৈ মন্ত্রীয়ে অক্ষমতা প্রকাশ কৰিলে। কিন্তু তাৰ দুদিনমানৰ পিছতেই এজন ঠিকাদাৰে মন্ত্রীক লগ ধৰি বদলিৰ আদেশটো বন্ধ কৰাই পেলালে।

বয়-বস্তুৰ দাম কেতিয়াবা কমিবনে?

খাদ্য-দ্ৰব্যৰ দাম উৰ্দ্ধমুখী হ'লেই প্ৰধান মন্ত্ৰী বা বিত্ত মন্ত্ৰীয়ে উদ্বেগ পূৰণ কৰে আৰু কয় যে মূল্যবৃদ্ধি ৰোধ কৰিবলৈ যথোচিত ব্যৱস্থা লোৱা হৈছে। বছৰৰ পিচত বছৰ এইবোৰ অসাৰ আৰু অৰ্থহীন উক্তি শুনি শুনি আজি জনসাধাৰণৰ এনেকুৱা অবস্থা হৈছেগৈ যে কাৰো বোধহয় সেইবোৰ কথা শুনি খঙো নুঠে বা হাঁহিও নুঠে। কোনোবাই যদি কিবা অনুভৱ কৰে সি হ'ল এই নিৰ্জীৱ আৰু হৃদয়হীন চৰকাৰৰ প্ৰতি অন্তহীন ঘৃণা। বছৰৰ পিচত বছৰ অব্যাহত গতিৰে নিত্য-ব্যৱহাৰ্য্য বস্তুৰ দাম বাঢ়িবই লাগিছে, কিন্তু মূল্যবৃদ্ধিৰ এই দুৰ্বহ পাষাণ ভাৰৰ হেঁচাত কোটি কোটি মানুহ পিষ্ট হৈ শুৰি হৈ যোৱা দেখিও চৰকাৰে দুৰৰপৰা ঢোৰা সাপৰ দৰে ফুচ-ফুচোৱাৰ বাহিৰে কামত একো কৰিব পৰা নাই। কামত যে একো কৰিব পৰা নাই তাৰ কাৰণ চৰকাৰৰ শক্তি বা ক্ষমতাৰ অভাৱ নহয়। তাৰ প্ৰধান কাৰণ হ'ল দৃঢ়তা আৰু ইচ্ছাৰ অভাৱ। দেশত পৰ্য্যাপ্ত পৰিমাণে খাদ্য সামগ্ৰী থকা সত্বেও বা উৎপাদন বৃদ্ধি হোৱা সত্বেও যেতিয়া খাদ্য-বস্তুৰ মূল্য সৰ্বসাধাৰণ ৰাইজৰ ক্ৰয়শক্তিয়ে ঢুকি নোপোৱাকৈ বাঢ়ি যায়, তেতিয়াই বুজিব লাগিব যে আমাৰ ৰাষ্ট্ৰীয় নীতি আৰু অৰ্থনৈতিক ব্যৱস্থাৰ মাজতেই নিশ্চয় ডাঙৰ কেৰোণ সোমাই আছে। ব্যক্তিগত খাদ্য-ব্যৱসায়ীৰ অন্তহীন মুনাফা-প্ৰীতিয়েই যে ক্ৰমবৰ্দ্ধমান মূল্য-বৃদ্ধিৰ অন্যতম প্ৰধান কাৰণ সেই বিষয়ে নিশ্চয় কোনো সন্দেহ নাই। গতিকে জন-সাধাৰণে সুলভ বা যুক্তিসংগত দামত বস্তু পাবলৈ হ'লে হয় খাদ্য-ব্যৱসায়ৰ সম্পূৰ্ণ ৰাষ্ট্ৰীয়কৰণ কৰিব লাগিব, অথবা তাৰ সমতুল্য কঠোৰ নিয়ন্ত্ৰণ-মূলক আন কোনো বিকল্প ব্যৱস্থা ল'ব লাগিব। খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ কংগ্ৰেছৰ বহু-বিঘোষিত দহ দফীয়া কাৰ্য্যসূচীৰ অন্যতম প্ৰস্তাৱ আছিল। কিন্তু তাক কাৰ্য্যকৰী কৰিব খোজাৰ কোনো লক্ষণ এতিয়ালৈকে চকুত পৰা নাই। মুখেৰে ভাটৌ চৰাইৰ দৰে সমাজবাদৰ মন্ত্ৰ আওৰালেও কংগ্ৰেছে যে নিজকে অৰ্থনৈতিক ন্যস্ত-স্বাৰ্থ আৰু শোষক শ্ৰেণীৰ কৱলৰ পৰা মুক্ত কৰিব পৰা নাই, বৰং ই কোটি কোটি দৰিদ্ৰ জনতাৰ মুখলৈ চাই কাম কৰাতকৈ কংগ্ৰেছৰ পৃষ্ঠপোষকস্বৰূপ মুষ্টিমেয় পুঁজিপতি শ্ৰেণীটোৰ স্বাৰ্থ ৰক্ষাৰ কাৰণেহে যে বেছিকৈ কাম কৰিছে — তাৰ অজস্ৰ প্ৰমাণ সকলোৰে চকুৰ আগত জলজল-পট্‌পট্‌কৈ জিলিকি আছে। যিবোৰ মানুহ এই অত্যধিক মূল্য-বৃদ্ধিৰ কাৰণে দায়ী, যিবোৰ মানুহে ৭০০০ কোটি ক'লা টকাৰ সমান্তৰাল অৰ্থনীতি খুলি দেশৰ অৰ্থনৈতিক ব্যৱস্থা বিপৰ্য্যস্ত কৰি তুলিছে, যিবোৰ লাভখোৰ, মজুতদাৰ আৰু চোৰাং ব্যৱসায়ীয়ে কোটি কোটি জনতাৰ জীৱন-মৰণ লৈ খেলা কৰিছে, সেইবোৰ মানুহেই অদৃশ্য হাতেৰে কংগ্ৰেছ অনুষ্ঠানটো তথা চৰকাৰক নিয়ন্ত্ৰণ কৰিছে। (The exlent to which the whole-sale traders and the large land-lords control the state, district and village level congress party machine should on no account be under-estimated........ Somehow any touching of their interests, any prodding of them to give up their familiar avocations appears almost like treason or even suicide to very influential sectors of congress leadership at the state and grass-root level.

(The Economic Weekly : July, 1964)

কংগ্ৰেছে নিজকে এই অৰ্থনৈতিক ন্যস্ত-স্বাৰ্থৰ নাগ-পাশৰপৰা মুক্ত কৰি জনতাৰ দল হ'ব নোৱাৰালৈকে ই হয়তো জন-সাধাৰণক আৰু কিছুকাল কথাৰ ফুলজাৰীৰে প্ৰতাৰণা কৰি থাকিব পাৰিব, কিন্তু ই কেতিয়াও জনতাৰ প্ৰকৃত অৰ্থনৈতিক মুক্তিৰ কাৰণে কাম কৰিব নোৱাৰিব। 'অক্টোবৰ বিপ্লৱ' কৰি ৰাজনৈতিক ক্ষমতা দখল কৰা যুবক কংগ্ৰেছে এই কৰুণ সত্যটো উপলব্ধি কৰি জনতাৰ আচল শত্ৰুবোৰৰ বিৰুদ্ধে কেতিয়াবা 'বিপ্লৱ' আৰম্ভ কৰিবনে?

ৰাজনীতিক আৰু সাংবাদিক

সাংবাদিকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে ভাৰতীয় ৰাজনীতিকসকলৰ এটা অদ্ভুত ধাৰণা আছে। মুখত তেওঁলোকে যিহকেই নকওক, কামত তেওঁলোকে সাংবাদিকসকলক সদায় চাটুকাৰ বা তোষামোদকাৰী হিচাবে পাবলৈ বিচাৰে। ঘটনাক্ৰমে যদি কোনো সাংবাদিকে কোনো ৰাজনৈতিক দলক বা নেতাক সমৰ্থন কৰে, তেতিয়া সেই সাংবাদিকক তেওঁলোকে মূৰত তুলি নচুৱায়। কিন্তু অনিবাৰ্য্য প্ৰয়োজনবশতঃ বা সত্য ভাষণৰ খাটিৰত সাংবাদিকে যদি সেই একেটা ৰাজনৈতিক দলৰ বা নেতাৰ কাৰ্য্যাৱলীৰ বিৰূপ সমালোচনা কৰিব লগা হয়, তেতিয়া সেই সাংবাদিকৰ সমালোচনাৰ অন্তৰালত নানা মতলব আৰু দুৰভিসন্ধি আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰা হয়। কোনোবা সাংবাদিকে যে নিঃস্বাৰ্থভাৱে বা জনতাৰ বৃহত্তৰ কল্যাণৰ কথা চিন্তা কৰি প্ৰকৃত সত্যক উদ্‌ঘাটিত আৰু ব্যক্ত কৰিবলৈ চেষ্টা কৰিব পাৰে আৰু তাকে কৰিবলৈ গৈ ক্ষমতাবানৰ প্ৰতিশোধ পৰায়ণতাৰ বলি হ'বলৈ সাহস কৰিব পাৰে, সেই কথা সৰ্বসাধাৰণ ভাৰতীয় ৰাজনীতিকে কল্পনাই কৰিব নোৱাৰে। মানুহে কথাতে কয় ঃ 'আপোনাৰ মন যেনে, জগতকো দেখে তেনে।' সাংবাদিকে প্ৰকাশ কৰা অপ্ৰিয় সত্যৰ অন্তৰালত নানা দুৰভিসন্ধি আৰু স্বাৰ্থবুদ্ধি আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰি কোনো কোনো ৰাজনীতিকে কেৱল নিজৰ অপৰাধবোধ আৰু কলুষিত মনৰহে পৰিচয় দিয়ে। অৱশ্যে ইমানখিনি কথা কোৱাৰ অৰ্থ এই নহয় যে প্ৰত্যেকজন সাংবাদিকেই সত্য সন্ধানী দেৱদূত আৰু প্ৰত্যেকজন
মতলব-বাজ চয়তান। এনে বহুতো বাতৰি কাকত বা সাংবাদিক নিশ্চয় আছে, যিসকলে সাংবাদিকতাৰ নামত প্ৰকৃততে বেশ্যা-বৃত্তি কৰে আৰু প্ৰগতি আৰু প্ৰতিক্ৰিয়াৰ মাজত হোৱা যুদ্ধত প্ৰতিক্ৰিয়াৰ পক্ষ লৈ সমাজৰ শত্ৰুতাচৰণ কৰে। এনেকুৱা সাংবাদিকৰ স্বৰূপ উন্মোচন কৰি দেখুওৱাটো কেৱল ৰাজনীতিকৰে নহয়, সকলো শুভবুদ্ধিসম্পন্ন মানুহৰেই অপৰিহাৰ্য্য কৰ্তব্য। কিন্তু উইলিয়াম ব্লেকৰ ভাষাত 'To Generalise is to be an idiot'।

কেৱল ৰাজনীতিকৰ মুখ-নিঃসৃত বাণীয়েই সত্য নহয়; প্ৰকৃত সত্যক আৱিষ্কাৰ কৰিবলৈ কেতিয়াবা অতি দুৰ্গম আৰু বিপদ-সংকুল পথ অতিক্ৰম কৰিব লগা হয়। এইটোও ঠিক যে সত্য সদায় নিৰ্মম। ৰাজনীতিকক ক্ষমতাৰ আসনত নিৰাপদে অধিষ্ঠিত কৰি ৰখাই সত্যৰ একমাত্ৰ উদ্দেশ্য নহয়; পথ-ভ্ৰান্তি বা আদৰ্শৰ স্খলনত বাধা দিয়াটোহে সত্যৰ প্ৰকৃত উদ্দেশ্য। অপ্ৰিয় সত্য ক'বলৈ গৈ যেতিয়া এড্‌মাণ্ড বাৰ্কে প্ৰতিপক্ষৰ ৰঙা চকুৰ সমুখীন হ'ব লগা হৈছিল, তেতিয়া তেওঁ কৈছিল ঃ 'যি আমাৰ লগত যুঁজ কৰে, তেওঁ আমাৰ স্নায়ু-তন্ত্ৰীক সবল কৰি তোলে আৰু আমাৰ বুদ্ধিক শাণ দি চোকা কৰি তোলে। আমাৰ সমালোচকসকলেই আমাৰ প্ৰকৃত 'সহায়কাৰী'। সজ উদ্দেশ্য-প্ৰণোদিত অপ্ৰিয় সমালোচনাকো ৰাজনীতিকসকলে এই মনোভাৱেৰে গ্ৰহণ কৰা উচিত। যিসকল ৰাজনীতিক কেৱল প্ৰশংসা আৰু সমৰ্থনৰ কাৰণে লালায়িত আৰু যিসকলে সাংবাদিকৰ প্ৰত্যেকটো উক্তিৰ মাজতে কেৱল স্বাৰ্থবুদ্ধি আৰু দুৰভিসন্ধি আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰে, তেওঁলোকে আচলতে নিজৰ দুৰ্বলতাৰহে পৰিচয় দিয়ে।

এই কথা ঠিক যে সাংবাদিকসকল সত্য-সন্ধানৰ নামত কেৱল নিৰ্লিপ্ত ভাষ্যকাৰ হৈ থাকিব নোৱাৰে; প্ৰগতি আৰু প্ৰতিক্ৰিয়াৰ মাজত হোৱা যুদ্ধত তেওঁলোকে প্ৰগতিৰ পক্ষত সমান অংশীদাৰ হ'ব লাগিব। কিন্তু তথাপিতো, অলপতে এজন প্ৰবীণ ভাৰতীয় সাংবাদিকে কোৱাৰ দৰে — ক্ষমতাৰ কৰিদৰলৈ মতান্তৰৰ কণ্ঠস্বৰ কঢ়িয়াই লৈ যোৱা আৰু জনতাৰ নিৰ্বাচিত শাসকসকলৰ বিৰুদ্ধে সৰ্বসাধাৰণ ৰাইজৰ অভিযোগ আৰু অসন্তুষ্টিবোৰ প্ৰকাশ কৰাটোৱেই হ'ল বাতৰি কাকতৰ প্ৰধান কৰ্তব্য। এই সুবিধা আৰু স্বাধীনতাখিনিয়েই গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ পুৰস্কাৰ।

সত্য-সন্ধানী সাংবাদিকৰ পথ কেতিয়াও কুসুমাস্তীৰ্ণ নহয়। যিসকল সাংবাদিকে সত্য আৰু আদৰ্শৰ জয়তকৈ ক্ষমতাৱান ৰাজনীতিকৰ স্নেহ-দৃষ্টিক বেছি মূল্য দিব খোজে তেওঁলোকে প্ৰবীণ সাংবাদিক আৰ্থাৰ ক্ৰোকৰ এষাৰ উপদেশ মনত ৰাখি চলিলে ভাল হয়। ৰাজনীতিক সকলেও এই উপদেশফাকিৰ মৰ্মাৰ্থ হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰা উচিত। আৰ্থাৰ ক্ৰোকে তেওঁৰ আত্মজীৱনীত লিখিছিল ঃ 'ৰাজনীতিকৰ বন্ধুত্ব লাভৰ কাৰণে যি মূল্য দিব লগা হয় — কোনো আত্মসন্মান জ্ঞান থকা সাংবাদিকেই সেই মূল্য দিব নোৱাৰে। সাংবাদিকৰ কৰ্তব্য আৰু ৰাজনীতিকৰ ৰাজহুৱা স্বাৰ্থৰ মাজত দুৰ্লংঘ্য ব্যৱধান বিৰাজমান। বৃত্তিজীৱী সাংবাদিকৰ একমাত্ৰ ৰক্ষা-কবচ হ'ল বস্তুনিষ্ঠতা।'

ৰূপালী ৰেখা

আমাৰ যোৱা সংখ্যা কাকতত এগৰাকী পত্ৰ-লিখিকাই অভিযোগ কৰিছে যে আমি বোলে প্ৰশাসনৰ বা ৰাজনৈতিক জীৱনৰ কেৱল বেয়া কথাবোৰ আৰু ব্যৰ্থতাখিনিহে ঢাক-ঢোল পিটি প্ৰচাৰ কৰোঁ; সেই অনুপাতে সামাজিক আৰু ৰাষ্ট্ৰীয় কৰ্মোদ্যমৰ ৰূপালী ৰেখাবোৰ প্ৰকাশ কৰি নেদেখুৱাওঁ। একে আষাৰেই স্বীকাৰ কৰি লোৱা ভাল যে অভিযোগটো বহু পৰিমাণে সঁচা। কিন্তু আমি তেনে কৰাৰ সপক্ষে যুক্তিও নোহোৱা নহয়। প্ৰথম কথা হ'ল — এজন প্ৰাপ্তবয়স্ক, শিক্ষিত আৰু দায়িত্বশীল নাগৰিকে যদি নিজৰ কৰ্তব্যখিনি যথাযথভাৱে পালন কৰে, তেওঁ কেতিয়াও চুৰ নকৰে, মিছা কথা নকয়, নাৰী ধৰ্ষণ নকৰে, তেন্তে সি কেতিয়াও সংবাদ হ'ব নোৱাৰে; কাৰণ তেওঁৰ ক্ষেত্ৰত এই সজ আচৰণ আৰু কৰ্তব্যনিষ্ঠাখিনিয়েই অতি স্বাভাৱিক আৰু প্ৰত্যাশিত। ৰাজহুৱা নেতা আৰু প্ৰশাসকসকলৰ ক্ষেত্ৰতো সেই একে কথাই প্ৰযোজ্য। ৰাইজে তেওঁলোকৰ ওপৰত যিবোৰ দায়িত্ব ন্যস্ত কৰিছে সেই দায়িত্ববোৰ যথাযথভাৱে পালন কৰাৰ বিৱৰণ কেতিয়াও সংবাদ বুলি পৰিগণিত হ'ব নোৱাৰে বা হোৱা উচিত নহয়। তদুপৰি নিজৰ ভাল কথা বা ভাল কাম মানুহে নিজে নিজেই প্ৰচাৰ কৰে, তাৰ কাৰণে আনৰ প্ৰচাৰ-যন্ত্ৰ ধাৰ কৰাৰ কোনো প্ৰয়োজন নাই। মানুহে গোপন কৰিবলৈ চেষ্টা কৰে কেৱল নিজৰ বেয়া কামবোৰ। এই গোপন কু-কাৰ্য্যবোৰ লোক-দৃষ্টিৰ সমুখত উদ্‌ঘাটিত কৰি দি সমাজৰ নেতা আৰু প্ৰশাসকসকলক বিপথে যোৱাৰ পৰা বাধা দি ৰখাই হ'ল বাতৰি কাকতৰ প্ৰধান কৰ্তব্য। আধুনিক সাংবাদিকতাৰ পুৰোধাস্বৰূপ যোচেফ্ পুলিৎজাৰে কৈছিল ঃ 'আমি এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ, আৰু গণতন্ত্ৰত প্ৰত্যেক ব্যক্তিৰ, সমাজৰ, স্থানীয় নিকায়সমূহৰ, ৰাষ্ট্ৰৰ আৰু সমগ্ৰ জাতিৰ আচৰণ সজ পথত ৰখাৰ কেৱল এটাই মাত্ৰ উপায় আছে ঃ আৰু সেইটো হৈছে সমগ্ৰ ঘটনাপ্ৰবাহ সম্পৰ্কে জন-সাধাৰণক অৱগত কৰি ৰখা। গোপনতাক আশ্ৰয় কৰিয়েই সমাজৰ প্ৰত্যেকটো অপৰাধ, প্ৰত্যেকটো আইনবিৰোধী কাৰ্য্য-কলাপ, প্ৰত্যেকটো অপ-কৌশল, প্ৰত্যেকটো জুৱাচুৰি আৰু প্ৰত্যেকটো

পাপ জীয়াই থাকে। এই সকলোবোৰ প্ৰকাশ কৰি দিয়া, বৰ্ণনা কৰি দিয়া, সেইবোৰক আক্ৰমণ কৰা, বাতৰি কাকতত সেইবোৰক সমালোচনা কৰি থকা-সৰকা কৰি দিয়া, — দেখিবা যে এদিন আগত বা এদিন পিচত জনমতৰ কোবাল ঢৌৱে সেইবোৰ ধুই-পখালি উটুৱাই লৈ যাব।' লৰ্ড এক্টনেও প্ৰায় একে কথাই কৈছিল : 'গোপন কৰি ৰখা প্ৰত্যেকটো কথাই সমাজখনক ভিতৰে ভিতৰে পঁচাই পেলায়; যিবোৰ কথাই ৰাজহুৱা আলোচনা আৰু প্ৰচাৰ সহ্য কৰিব নোৱাৰে, সেই আটাইবোৰ কথা সমাজৰ কাৰণে বিপজ্জনক।'

মুঠ কথা এয়েই যে, কথা ভাল আৰু ভাল কাম সূৰ্য্যৰ পোহৰৰ দৰেই স্বপ্ৰকাশ; তাক ঢাক-ঢোল পিটি প্ৰচাৰ কৰিবৰ কাৰণে বাতৰি কাকত বা অন্য কোনো প্ৰচাৰ-যন্ত্ৰৰ সহায়ৰ দৰকাৰ নাই। কিন্তু বেয়া কামবোৰে বিষাক্ত সাপৰ দৰে আন্ধাৰ গাঁতত আত্ম-গোপন কৰি সোমাই থাকে আৰু সকলোৰে কাৰণে বিপদৰ স্থায়ী উৎসত পৰিণত হয়। গাঁত খান্দি সেই বিষাক্ত সাপক বিচাৰি উলিয়াই তাক নিৰ্মূল কৰাটো বাতৰি কাকতৰ এটা প্ৰধান কৰ্তব্য।

বাতৰি কাকতত সদৰ্থক কথাবোৰ বা উপৰোক্ত পত্ৰ-লিখিকাৰ ভাষাতে 'ৰূপালী ৰেখা'বোৰ প্ৰকাশ নোপোৱাৰ দ্বিতীয় প্ৰধান কাৰণ হ'ল এয়েই যে, পাঠকে সেইবোৰ পঢ়িবলৈ নিবিচাৰে। কেইবছৰমানৰ আগতে আমেৰিকা যুক্ত-ৰাষ্ট্ৰত কেইজনমান মানুহে লগলাগি এখন নতুন ধৰণৰ বাতৰি কাকত প্ৰকাশ কৰিছিল। তেওঁলোকে ঠিক কৰিছিল যে এই বাতৰি কাকতত তেওঁলোকে এটাও নেতিবাচক বা বিৰূপ সমালোচনামূলক কথা প্ৰকাশ নকৰি কেৱল সমাজৰ ভাল কথা আৰু ভাল কামবোৰৰ বিষয়ে প্ৰশংসৌসূচক বাতৰি প্ৰকাশ কৰিব। বহু টকা খৰচ কৰি অতি আকৰ্ষণীয়ভাৱে উলিওৱা এই বাতৰি কাকতখন মাত্ৰ দুটা নে তিনিটা সংখ্যা ওলোৱাৰ পিচতেই বন্ধ হৈ গ'ল। দেখা গ'ল যে জন-সাধাৰণে বাতৰি কাকতক watch dog বা প্ৰহৰী-কুকুৰ হিচাবেহে পাবলৈ বিচাৰে; morale-booster বৈতালিক হিচাবে নহয়।

সাপ্তাহিক নীলাচল, ১৯৯ সংখ্যা ঃ ২০ চেপ্তেম্বৰ, ১৯৭২

ভাষা-সমস্যা আৰু অসমৰ ভৱিষ্যত

ভাৰতে স্বাধীনতা পোৱাৰ তিনি মাহৰ পাচত স্বাধীন অসমৰ প্ৰথম বিধানসভাৰ অধিবেশন মুকলি কৰি সেই সময়ৰ ৰাজ্যপালে তেওঁৰ ভাষণ প্ৰসঙ্গত কৈছিল ঃ "অসমৰ খিলঞ্জীয়া অধিবাসীসকল এতিয়া তেওঁলোকৰ নিজৰ ঘৰখনৰ প্ৰকৃত গৰাকীত পৰিণত হৈছে। এতিয়া তেওঁলোকে এনে এটা চৰকাৰ পাইছে যি চৰকাৰ তেওঁলোকৰ প্ৰতি দায়িত্ববদ্ধ আৰু তেওঁলোকৰ আশা-আকাংক্ষাৰ প্ৰতি সহানুভূতিশীল। অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ কাৰণে তেওঁলোকে এতিয়া নিজৰ ইচ্ছানুযায়ী যি কোনো ব্যৱস্থাকে লব পাৰে। তাৰ লগে লগে তেওঁলোকৰ সমান অংশীদাৰ জনজাতীয়সকলৰ ভাষা আৰু সাংস্কৃতিক পৰম্পৰাৰ বিকাশৰ কাৰণেও যথোপযুক্ত ব্যৱস্থা তেওঁলোকে ল'ব পাৰে। এই সম্পৰ্কীয় নীতি নিৰ্দ্ধাৰণত জনজাতীয় লোকসকলৰো সমান অংশ থাকিব লাগিব। এতিয়া অসমৰ পৰ্বত-ভৈয়ামৰ অধিবাসীসকলৰ ওপৰত কোনো কথা জোৰকৈ জাপি দিবলৈ বাঙালীসকলৰ ইচ্ছা থাকিলেও শক্তি নোহোৱা হৈ গ'ল। বাঙালীসকলৰ প্ৰতি অসমীয়াসকলৰ অনুভূতিৰ মূল কথা আছিল ভয়; কিন্তু এতিয়া সেই ভয়ৰ কাৰণ নোহোৱা হৈ গ'ল। সেই কাৰণে মই আপোনাসকলৰ ওচৰত আবেদন কৰিব খোজোঁ — আপোনাসকলে যেন নিজৰ সকলো প্ৰভাৱ প্ৰয়োগ কৰি আপোনাসকলৰ মাজত থকা এই বহিৰাগতসকলৰ প্ৰতি ন্যায় বিচাৰ প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰে; অৱশ্যে এইটো কৰিবলৈ হ'লে তেওঁলোকৰ আচৰণৰ মাজতো আপোনাসকলৰ প্ৰতি আনুগত্যৰ ভাব ফুটি উঠিব লাগিব।" (৫।১১।৪৭)

সেই সময়ত অসমৰ প্ৰধান মন্ত্ৰী আছিল স্বৰ্গীয় গোপীনাথ বৰদলৈ। এই দূৰদৃষ্টি-সম্পন্ন নেতাজনে স্বাধীনতা প্ৰাপ্তিৰ লগে লগেই অসমৰ খিলঞ্জীয়া অধিবাসীসকলৰ সাংস্কৃতিক বিকাশ আৰু আবেগিক সংহতি সাধনৰ কাৰণে এটা অতি বাস্তৱবাদী নীতি গ্ৰহণ কৰিছিল আৰু নতুন যাত্ৰাপথৰ আৰম্ভণিতেই সকলো শ্ৰেণীৰ ৰাইজৰ উদ্দেশ্যে এটা শুদ্ধ পথৰ নিৰ্দেশ দিছিল। অসমৰ পৰম দুৰ্ভাগ্য যে এই বিৰাট ব্যক্তিত্বসম্পন্ন আৰু কল্পদ্ৰষ্টা নেতাজনে নতুন অসম নিৰ্মাণৰ কাম ভালকৈ আৰম্ভ কৰিবলৈ নৌ পাওঁতেই কালে অকালতে তেওঁক আমাৰ মাজৰপৰা হৰি নিলে। স্বৰ্গীয় বৰদলৈদেৱে আৰু কেইবছৰমান অসমক নেতৃত্ব দিবলৈ পোৱা হ'লে এই ৰাজ্যৰ ইতিহাসেই বোধহয় বহুখিনি সলনি হৈ গ'লহেঁতেন।

সি যি কি নহওক, স্বাধীনতাৰ উষালগ্নতে অসমৰ স্বাধীন চৰকাৰে অসমৰ খিলঞ্জীয়া অধিবাসীবৃন্দৰ অবাধ সাংস্কৃতিক বিকাশৰ যি স্বপ্ন দেখিছিল, আজিও সি স্বপ্ন হৈয়ে ৰ'ল। অৱশ্যে তাৰ কাৰণে আনক দোষ দিয়াতকৈ সদৌ অসমীয়া জাতিৰ ভাষা-প্ৰেমৰ অভাৱ, সাংস্কৃতিক উদাসীনতা আৰু ৰাজনৈতিক নেতৃত্বৰ দুৰ্বলতাই প্ৰধানকৈ দায়ী বুলি স্বীকাৰ কৰি লব লাগিব। যিসকল অসমীয়া ডেকাই ভাষাৰ দাবীত শ্লোগান দিয়া আৰু বিক্ষোভ প্ৰদৰ্শন কৰাৰ বাহিৰে নিজৰ ভাষা আৰু সাহিত্যৰ উন্নতিৰ কাৰণে সপোনতো চিন্তা নকৰে, গ্ৰাহক আৰু পাঠকৰ অভাৱত যি ভাষাৰ এখনো আলোচনী মাত্ৰ দহ বছৰো জীয়াই থাকিব নোৱাৰে, যি অসমীয়া ডেকাই ক'লা বজাৰত দহগুণ দাম দি টিকট কিনি দিনৰ পিচত দিন হিন্দী চিনেমা চালেও বছৰৰ মূৰতো এখনো অসমীয়া কিতাপ বা বাতৰি কাকত কিনি

নপৰে — সেইসকল অসমীয়া ডেকাৰ হাতত অসমীয়া ভাষাৰ ভৱিষ্যত কিমানদূৰ নিৰাপদ সেই বিষয়ে যথেষ্ট সন্দেহৰ অৱকাশ আছে।

১৯৬০ চনত অসম ৰাজ্য-ভাষা আইন গৃহীত হোৱাৰ সময়লৈকে অসমৰ মানচিত্ৰৰ যি ৰূপ আছিল বা যি ৰাজনৈতিক গাঁঠনি আছিল, এতিয়া আৰু সি নাই। পাহাৰী ভাইসকলৰ পেটৰ কথা যিয়েই নহওক তেওঁলোকে মুখেৰে কোৱা মতে অসমত অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাবে গ্ৰহণ কৰাৰ কাৰণেই বোলে তেওঁলোক আমাৰপৰা পৃথক হৈ যাবলৈ বাধ্য হ'ল। সি যি কি নহওক, এতিয়াৰ পৰিবৰ্তিত পৰিস্থিতিত অসমৰ ভাষা-সম্পৰ্কীয় নীতিকো নতুনকৈ পৰীক্ষা কৰি চোৱাৰ সময় আৰু প্ৰয়োজন আহি পৰিছে। ঘাইকৈ ভাষাৰ প্ৰশ্নটোকে কেন্দ্ৰ কৰি অসমক খণ্ড-বিখণ্ড কৰাৰ যি প্ৰক্ৰিয়াৰ সূচনা কৰা হ'ল তাক এতিয়া তাৰ অনিবাৰ্য্য যুক্তিসঙ্গত পৰিণতিৰ মুখলৈ আগুৱাই লৈ যাবই লাগিব। সাপ মাৰি নেজত বিষ থৈ কাৰো একো লাভ নহ'ব।

বৰ্তমান অসমৰ অধিবাসীসকলক ঘাইকৈ দুটা ভাগত ভগাব পাৰি : এভাগ হ'ল জনজাতীয় আৰু অজনজাতীয় আদিম অধিবাসীবৃন্দ; আন ভাগ হ'ল বৃটিচ শাসনৰ পিচৰেপৰা এতিয়ালৈকে অবিৰাম গতিৰে আহি থকা বহিৰাগতসকল। বৃটিচ শাসনৰ আগলৈকে অৰ্থাৎ অসম এখন স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰ হৈ থকাৰ সময়তো ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা আৰু আনকি ভাৰতৰ বাহিৰৰ পৰাও চামে চামে অনেক লোক অসমলৈ আহিছিল; কিন্তু সেই সকলো লোকেই অসমৰ ভাষা-সংস্কৃতি আৰু আচাৰ-বিচাৰ নিজৰ বুলি গ্ৰহণ কৰি থলুৱা লোকৰ লগত সম্পূৰ্ণৰূপে মিলি গৈ এক মহান অসমীয়া জাতি গঢ়ি তুলিছিল। এই অনুপম সমন্বয়ৰ সাধনা প্ৰথমবাৰৰ কাৰণে ব্যাঘাত হ'ল অসমত বিদেশী শাসনৰ সূচনাৰ লগে লগে। অসম চিৰকালেই সাংস্কৃতিক ভাৰতৰ অবিচ্ছেদ্য আছিল, কিন্তু সি ৰাজনৈতিক ভাৰতৰ অঙ্গীভূত হ'ল বিদেশী শাসন প্ৰবৰ্তিত হোৱাৰ পিচৰপৰাহে। অৱশ্যে অসম পৰাধীন হোৱাৰ পিচৰপৰাও যিসকল বহিৰাগত লোক অসমলৈ আহিছে, তেওঁলোকৰ বেছিভাগেই স্বেচ্ছাই অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি এক বৃহত্তৰ অসমীয়া জাতি গঢ়ি তোলাত সহায় কৰিছে। শিখ, ৰাজস্থানী, নেপালী আদি ক্ষুদ্ৰতৰ জনগোষ্ঠীৰ উপৰিও লক্ষ লক্ষ চাহ-মজদুৰ আৰু পূৰ্ববঙ্গৰপৰা অহা ন-অসমীয়া মুছলমানসকল আজি অসমীয়া জাতিৰ পৰমাত্মীয় আৰু অবিচ্ছেদ্য অঙ্গত পৰিণত হৈছে। ব্যতিক্ৰম হৈ ৰৈছে কেৱল বাঙালী হিন্দুসকল।

সাংস্কৃতিক উৎকৰ্ষৰ ফালৰপৰা বাঙালীসকল ভাৰতবৰ্ষৰ সৰ্বশ্ৰেষ্ঠ সম্প্ৰদায়। তেওঁলোকক লৈ সমগ্ৰ ভাৰতবৰ্ষই গৌৰৱ কৰে। তেওঁলোকৰ গভীৰ ভাষা-প্ৰেম, সাংস্কৃতিক আভিজাত্যবোধ আৰু তীব্ৰ সাহিত্যানুৰাগ সকলোৰে অনুকৰণীয়। বাঙালীসকল অসমৰ নিকটতম প্ৰতিবেশীয়েই নহয়, ভাৰতৰ তথা পৃথিৱীৰ সকলো জাতিৰ ভিতৰত বাঙালীসকলৰ লগতেই অসমীয়াসকলৰ সাংস্কৃতিক সম্পৰ্কও ঘনিষ্ঠতম। বাংলা ভাষা-সাহিত্যৰ প্ৰতি অসমীয়াসকলৰ কোনো বিৰূপ মনোভাৱতো নায়েই, বৰঞ্চ অসমত যিমান বাংলা কিতাপ আৰু আলোচনী বিক্ৰী হয় সেইবোৰৰ বেছি ভাগৰে ক্ৰেতা বা পাঠক বোধহয় অসমীয়াসকলেই। ইমানৰ পিচতো যে যোৱা ভেৰশ বছৰ ধৰি অসমৰ/অসমীয়া আৰু বাঙালীসকলৰ মাজত এটা তিক্ততা বা মনোমালিন্যৰ অন্তঃস্ৰোত প্ৰবাহিত হৈ আছে, তাৰ একমাত্ৰ কাৰণ হ'ল অসমীয়া ভাষাৰ একমাত্ৰ গৃহভূমি অসমক দ্বিভাষিক ৰাজ্যত পৰিণত কৰিবলৈ বাঙালীসকলে কৰি অহা চেষ্টা।

১৯৪৭ চনৰ আগলৈকে ভাৰতত ধৰ্মীয় ৰাজনীতিৰ প্ৰবল উন্মাদনা দেখা গৈছিল। তাৰ ফল স্বৰূপে ভাৰত দ্বিখণ্ডিত হ'ল। স্বাধীনতা লাভৰ পিচৰপৰাই এই উপ-মহাদেশৰ অধিবাসীসকলে নিজৰ ভাষা আৰু সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ কাৰণে অধিক পৰিমাণে মনোনিবেশ কৰিবলৈ আৰম্ভ কৰিছে, আৰু তাৰ ফল স্বৰূপে ভাষা-ভিত্তিক ৰাজনীতিৰ এটা নতুন উন্মাদনা আৰম্ভ হৈছে। তাৰেই পৰিণতি স্বৰূপে সৌ সিদিনা মাত্ৰ পাকিস্তান দ্বিখণ্ডিত হ'ল। 'বাকীস্তান' অৰ্থাৎ পাকিস্তানৰ বাকী থকা অংশও ভাষাৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ দাবীত পুনৰ খণ্ড-বিখণ্ড হোৱাৰ উপক্ৰম হৈছে। ভাষা-সম্পৰ্কীয় যি কোনো প্ৰশ্নৰ সন্মুখীন হওঁতে এইবোৰ সমসাময়িক ঘটনাৱলীৰ পটভূমি আৰু প্ৰতিক্ৰিয়া বিস্মৃত হোৱাটো মাৰাত্মক মূৰ্খামিৰ কাম হ'ব।

এই কথা সুনিশ্চিত যে ভাৰতৰ প্ৰত্যেকটো প্ৰধান ভাষাৰ আত্ম-সংৰক্ষণ আৰু আত্ম-সংবৰ্দ্ধনৰ কাৰণে একোখনঅক গৃহ-ভূমিৰ (Home-land) দৰকাৰ আৰু অসমীয়া ভাষাৰ সেই নতুন গৃহ-ভূমি হ'ল অসম। তাৰ অৰ্থ অৱশ্যে এইটো নহয় যে অসমত কোনো অনা-অসমীয়াভাষী মানুহ থাকিব নোৱাৰিব বা তেওঁলোকে নিজ নিজ ভাষা-সাহিত্যৰ চৰ্চা কৰিব নোৱাৰিব। কিন্তু অসমৰ একমাত্ৰ ৰাজ্যভাষা অসমীয়া হ'ব লাগিব আৰু অসমৰ বিশ্ববিদ্যালয়সমূহতো শিক্ষাৰ একমাত্ৰ মাধ্যম হ'ব লাগিব অসমীয়া। ইংৰাজী ভাষাৰ যোগেদি শিক্ষা গ্ৰহণ কৰোঁতে যেতিয়া অসমীয়া, বাঙালী বা হিন্দুস্থানী সম্প্ৰদায়ৰ নিজ নিজ ভাষা-সাহিত্যৰ চৰ্চা কৰাত কোনো বাধাৰ সৃষ্টি হোৱা নাছিল, এতিয়া অসমীয়া ভাষাৰ যোগেদি শিক্ষা ললেও তেনে বাধা অহাৰ কোনো যুক্তিসঙ্গত কাৰণ নাই। অসমত অসমীয়া ভাষাই ন্যায্য অধিকাৰ নোপোৱালৈকে সংঘৰ্ষ আৰু উত্তেজনাৰ অন্তঃস্ৰোত চিৰকাল বৈ থাকিব, আৰু তাৰ পৰিণাম কাৰো কাৰণে ভাল নহ'ব। প্ৰখ্যাত মাৰ্ক্সবাদী অৰ্থনীতিবিদ শ্ৰীমোহিত সেনেও মাত্ৰ সৌ সিদিনা গুৱাহাটীৰ এখন সভাত মন্তব্য কৰিছে যে অৰ্থনৈতিক উন্নতিৰ কাৰণেও সামাজিক সম্প্ৰীতিৰ একান্ত প্ৰয়োজন, আৰু তাৰ কাৰণে এক-ভাষা-ভিত্তিক ৰাজ্য গঠন কৰাটো অতিশয় বাঞ্ছনীয়।

অসমৰ ভাষা সমস্যাটো চূড়ান্তভাৱে নিষ্পত্তি কৰিবৰ কাৰণে কাছাৰ জিলাখনক অসমৰপৰা পৃথক কৰি এখন সুকীয়া ৰাজ্য বা ইউনিয়ন টেৰিটৰি কৰাৰ বাহিৰে দ্বিতীয় আন কোনো উপায় নাই। কাছাৰ জিলাখন অসমৰপৰা ফাটি গ'লেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালীসকলে ব্যৱহাৰিক প্ৰয়োজনত অসমীয়া ভাষাক গ্ৰহণ কৰিবলৈ মানসিকভাৱে প্ৰস্তুত হ'ব পাৰিব। কাছাৰ জিলাৰ প্ৰায়বোৰ শীৰ্ষস্থানীয় নেতাই যে প্ৰকাশ্যে আৰু গোপনে কাছাৰক অসমৰপৰা বিচ্ছিন্ন কৰিবলৈ চেষ্টা কৰি আছে তাৰো যথেষ্ট প্ৰমাণ আমাৰ হাতত আছে। এনে অৱস্থাত জোৰকৈ কাছাৰক অসমৰ লগত ৰাখিবলৈ চেষ্টা কৰি একো লাভ নাই। কিন্তু সদ্যহতে কিবা অনিবাৰ্য্য কাৰণত যদি কাছাৰক সুকীয়া ৰাজ্য বা ৰাজ্য-ক্ষেত্ৰৰ মৰ্য্যাদা দিব পৰা নাযায়, তেন্তে কাছাৰে হয় শিক্ষাৰ মাধ্যম হিচাবে অসমীয়া ভাষাক গ্ৰহণ কৰক, অথবা কাছাৰৰ কাৰণে এটা সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰা হওক। কাছাৰে যে এতিয়ালৈকে সুকীয়া বিশ্ববিদ্যালয়ৰ দাবী কৰা নাই, তেওঁলোকৰ এই ৰহস্যময় আচৰণে আমাৰ মনত গভীৰ সন্দেহৰ উদ্ৰেক কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালী ভাইসকলে দূৰদৰ্শিতা আৰু উদাৰ মনোভাবৰ পৰিচয় দিলেহে অসমত সম্পূৰ্ণ সামাজিক আৰু সাংস্কৃতিক সম্প্ৰীতি স্থাপন হোৱাটো সম্ভৱ হ'ব আৰু তেতিয়াহে অসমে অৰ্থনৈতিক উন্নয়নৰ কামত একাগ্ৰতাৰে আত্মনিয়োগ কৰিব পাৰিব।

সাপ্তাহিক নীলাচল, ২০০ সংখ্যা : ২৭ চেপ্তেম্বৰ, ১৯৭২

ভাষা-সমস্যা আৰু অসমৰ ভৱিষ্যত?

I shall often go wrong through defect of judgement. When right, I shall often be thought wrong by those whose positions will not command a view of the whole ground.

- Thomas Jefferson

১৯৪৮ চনৰপৰাই কাছাৰৰ বিভিন্ন শ্ৰেণীৰ লোকে অসমৰপৰা ফাটি গৈ এখন সুকীয়া ৰাজ্য স্থাপন কৰাৰ চেষ্টা কৰি আহিছে। কিন্তু অসমৰ মানুহে কাছাৰক অসমৰপৰা পৃথক কৰি দিব লাগে বুলি স্পষ্টভাৱে কোৱা আমাৰ মনত পৰা নাই। আমি যিমানদূৰ জানো, সাপ্তাহিক নীলাচলেই সৰ্বপ্ৰথমে অতি স্পষ্ট ভাষাৰে আৰু যুক্তি সহকাৰে কাছাৰক অসমৰপৰা বিচ্ছিন্ন কৰি দিয়াৰ দাবী উত্থাপন কৰিছিল, (সাপ্তাহিক নীলাচলৰ 'ভূগোল আৰু বুৰঞ্জী' শীৰ্ষক সম্পাদকীয় দ্ৰষ্টব্য)। আমি এতিয়া জানিবলৈ পাই অতি সুখী হৈছোঁ যে অসমৰ মানুহে অৱশেষত আমাৰ যুক্তিৰ সাৰবত্তা উপলব্ধি কৰিছে আৰু কাছাৰক অসমৰপৰা পৃথক কৰি দিব লাগে বুলি সমস্বৰে দাবী কৰিছে।

শিক্ষাৰ মাধ্যম সম্পৰ্কে অসম বিধানসভাৰ সৰ্বসন্মত প্ৰস্তাৱে কাছাৰক অসমৰপৰা পৃথক কৰাৰ পথ মুকলি কৰিছে বুলি আমি ভাবোঁ। এই প্ৰস্তাৱে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হ'ব লাগে বুলি মত দিছে আৰু কাছাৰৰ কাৰণে এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ পৰামৰ্শ দিছে। যোৱা ২০ চেপ্টেম্বৰৰ সম্পাদকীয় প্ৰবন্ধত আমি বিশ্লেষণ কৰি দেখুৱাইছিলোঁ যে অসমৰ ভাষা-সমস্যাৰ স্থায়ী সমাধানৰ কাৰণে কাছাৰক অসমৰপৰা পৃথক কৰি দিয়া বা সেই জিলাৰ কাৰণে এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰাৰ বাহিৰে দ্বিতীয় আন কোনো পথ নাই। গুৱাহাটীৰ ছাত্ৰ নেতাসকলে মুখ্যমন্ত্ৰীক দিয়া এখন স্মাৰক-পত্ৰতো প্ৰায় একে অভিমতকেই ব্যক্ত কৰিছিল। অসমৰ ৰাইজৰ অন্যতম প্ৰধান দাবী আছিল এয়েই যে অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ কাৰণে স্থাপন কৰা গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক কোনো অৱস্থাতেই দ্বি-ভাষিক বিশ্ববিদ্যালয় কৰিবলৈ দিয়া নহ'ব। অসম বিধানসভাৰ সৰ্বসন্মত প্ৰস্তাৱে সেই দাবী পূৰণ কৰিছে। গতিকে বৰ্তমানৰ অৱস্থাত এই জটিল সমস্যাটোৰ ইয়াতকৈ গ্ৰহণযোগ্য সমাধান আন একোৱেই হ'ব নোৱাৰে। কিন্তু কাছাৰত বিশ্ববিদ্যালয় কোনে স্থাপন কৰিব আৰু কেতিয়া সেই কাম হৈ উঠিব সেই সম্পৰ্কে প্ৰস্তাৱটোত অস্পষ্টতা ৰৈ গৈছে। নিয়মমতে নতুন এখন বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ হ'লে ৰাজ্য চৰকাৰ আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে সমানে ব্যয়ভাৰ বহন কৰিব লাগে। কিন্তু অসমৰ বৰ্তমান আৰ্থিক পৰিস্থিতিত মাত্ৰ এখন জিলাৰ কাৰণে এটা সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ অসম চৰকাৰে নিশ্চয় ধন খৰচ কৰিব নোৱাৰে। অসমৰ বিশেষ সমস্যাৰ কথা বিবেচনা কৰি ইয়াৰ সমস্ত ব্যয়-ভাৰ কেন্দ্ৰীয় চৰকাৰেই বহন কৰিব লাগিব। যদি কেন্দ্ৰই সেই ব্যয় বহন কৰিবলৈ সন্মত নহয়, তেন্তে কাছাৰক অসমৰপৰা পৃথক কৰি দিবলৈকে কেন্দ্ৰৰ ওচৰত দাবী কৰিবলৈ অসম চৰকাৰৰ নিশ্চয় অধিকাৰ থাকিব। দ্বিতীয়তে, শিক্ষাৰ মাধ্যম সম্পৰ্কীয় যোজনাটোত এনেকুৱা ইংগিতো দিয়া হৈছে যে কাছাৰৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয় এখন স্থাপিত নোহোৱা পৰ্যন্ত গুৱাহাটী বিশ্ববিদ্যালয়ত স্থিতাৱস্থা চলি থাকিব। কিমান দিনৰ ভিতৰত কাছাৰৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব সেই বিষয়ে সময়ৰ এটা নিৰ্দিষ্ট সীমাৰেখা ধাৰ্য্য কৰি দিয়াৰ প্ৰয়োজন আছে। সেয়ে নহ'লে

সম্প্ৰতি সৃষ্টি হোৱা উত্তেজনাক সাময়িকভাৱে হেঁচা মাৰি থবলৈ প্ৰয়োগ কৰা ৰাজনৈতিক কৌশল ব্যৰ্থ হ'ব, আৰু চৰকাৰেও মিথ্যাচৰণৰ অভিযোগত অভিযুক্ত হৈ ইয়াৰ পিচৰ বাৰ দ্বি-গুণতৰ উত্তেজনা আৰু বিক্ষোভৰ সন্মুখীন হ'ব লাগিব।

শিক্ষাৰ মাধ্যম সম্পৰ্কে সিদ্ধান্তটোক তিনি শ্ৰেণীৰ মানুহৰ দৃষ্টি-ভঙ্গীৰপৰা বিচাৰ কৰি চাব লাগিব। তেওঁলোক হ'ল – (১) কাছাৰৰ ৰাইজ (২) অসম উপত্যকাৰ বাঙালীসকল আৰু (৩) সদৌ অসমৰ অসমীয়া-ভাষী লোকসকল। যিহেতু কাছাৰৰ প্ৰায় ১৬ লাখ অধিবাসীৰ ভিতৰত সম্প্ৰতি সৰহভাগেই বাংলা-ভাষী লোক আৰু তেওঁলোকক নিজৰ মাতৃভাষাৰ বাহিৰে আন ভাষাত শিক্ষা লবলৈ কোনোবাই বাধা কৰিব খুজিলেও বাস্তৱ ক্ষেত্ৰত সি সম্ভৱ নহয়, গতিকে তেওঁলোকক অসমৰপৰা পৃথক কৰি দিয়া বা তেওঁলোকৰ কাৰণে এটা সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰাৰ বাহিৰে দ্বিতীয় আন কোনো উপায় নাই। এতিয়া অসম চৰকাৰে তেওঁলোকৰ কাৰণে এটা সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ কেন্দ্ৰক পৰামৰ্শ দিব খুজিছে। যদি কেন্দ্ৰই সেই পৰামৰ্শ গ্ৰহণ নকৰে, তেন্তে কাছাৰক অসমৰপৰা বিচ্ছিন্ন কৰি দিয়াৰ বাহিৰে আন কোনো গত্যন্তৰ নাথাকিব, আৰু এনে এটা অনিবাৰ্য্য পৰিণতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰেই সম্পূৰ্ণৰূপে দায়ী থাকিব। আনহাতে কাছাৰে যদি সুকীয়া এটা বিশ্ববিদ্যালয়ত সন্তুষ্ট নহৈ গুৱাহাটী বিশ্ববিদ্যালয়তে বাংলা ভাষাক শিক্ষাৰ অন্যতম মাধ্যম কৰিবলৈ জেদ কৰি থাকে, তেন্তে বুজিব লাগিব যে তেওঁলোকে ভাষাৰ প্ৰশ্নটোক ৰাজনৈতিক ষড়যন্ত্ৰৰ অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰি অসম উপত্যকাৰ অসমীয়া আৰু বাঙালীসকলৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰিব খোজে। যিহেতু অসমীয়া ৰাইজে কেতিয়াও গুৱাহাটী বিশ্ববিদ্যালয়ক দ্বি-ভাষিক কৰিবলৈ ৰাজী নহ'ব, গতিকে তাৰ ফলত অসমত ভাষাগত সংঘৰ্ষ অনিৰ্দিষ্ট কাললৈ চলি থাকিব আৰু তাৰ পৰিণামত আটাইতকৈ ক্ষতিগ্ৰস্ত হ'ব অসম উপত্যকাৰ সংখ্যালঘু বাঙালী সম্প্ৰদায়। এই সকলো কথা বিবেচনা কৰি কাছাৰে সুকীয়া এটা বিশ্ববিদ্যালয় পাবলৈ চেষ্টা কৰা উচিত, অথবা অসমৰপৰা পৃথক হৈ যাবৰ কাৰণে সাংবিধানিক উপায়েৰে চেষ্টা কৰা উচিত।

অসম উপত্যকাৰ বাঙালীসকলৰ স্থিতি কাছাৰৰ বাঙালীসকলৰপৰা সম্পূৰ্ণৰূপে পৃথক। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা হাজাৰ হাজাৰ বছৰ ধৰি অসমীয়া আৰু অন্যান্য থলুৱা জনজাতীয় ভাষা-গোষ্ঠীৰ লোকৰ একমাত্ৰ গৃহভূমি। বহিৰাগত প্ৰব্ৰজনকাৰীয়ে আহি ইয়াত স্থায়ীভাৱে বসবাস কৰাত আপত্তি নাথাকিব পাৰে, কিন্তু তেনেকুৱা প্ৰব্ৰজনকাৰীয়ে যদি উপনিৱেশবাদী দৃষ্টি-ভঙ্গী গ্ৰহণ কৰি অসমীয়া ভাষাত স্থানচ্যুত কৰিবলৈ চেষ্টা কৰে বা অসমক এখন বহু-ভাষিক ৰাজ্যত পৰিণত কৰিবলৈ চেষ্টা কৰে, তেন্তে তেনে চেষ্টাক অসমৰ ৰাইজে কেতিয়াও ভাল চকুৰে নাচাব। বিভিন্ন সময়ত অসমলৈ তিনি শ্ৰেণীৰ বাঙালী লোক আহিছিল। প্ৰথম শ্ৰেণীৰ লোক আহিছিল বৃটিচ শাসকসকলৰ লগে লগে আমোলা বিষয়া হৈ। পুৰুষানুক্ৰমে তেওঁলোকে অসমত বাস কৰিছে আৰু অসমীয়া সমাজৰ লগত তেওঁলোক একাত্ম হৈ গৈছে বুলি আমি ধৰি লৈছোঁ। দ্বিতীয় শ্ৰেণীৰ বাঙালী হ'ল ৰেলৱে আৰু ডাক-বিভাগ আদি কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যালয়ৰ অসম শাখাত চাকৰি কৰা বাঙালী কৰ্মচাৰীসকল। মালিগাঁও আৰু লামডিং প্ৰমুখ্যে কেইখনমান চহৰত তেওঁলোকৰ একোটাকৈ সৰু সৰু উপনিৱেশ গঢ়ি উঠিছে। চাকৰি সংক্ৰান্তত অসমলৈ আহি বাংলা ভাষাৰ উপনিৱেশ পাতিবলৈ বা অসমীয়া ভাষাৰ সমানে সমানে অধিকাৰ দাবী কৰিবলৈ তেওঁলোকৰ কোনো অধিকাৰ আছে বুলি আমি নাভাবোঁ। একোখন ঠাইত একোটা বিশেষ ভাষা-গোষ্ঠীৰ লোকৰ এনেকুৱা উপনিৱেশ গঢ়ি উঠিবলৈ সুবিধা দি কেন্দ্ৰীয় চৰকাৰে সামাজিক সংঘৰ্ষৰ বীজ ৰোপণ কৰিছে। এটা দীৰ্ঘম্যাদি ব্যৱস্থা হিচাবে এই লোকসকলক একেখন ঠাইতে থুপ পাতিবলৈ সুবিধা নিদি চাৰিওফালে সিঁচৰতি কৰি দিলে বা কেন্দ্ৰীয় কাৰ্য্যালয়সমূহত থলুৱা লোকক বেছিকৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিলে এই বহিৰাগত চাকৰিয়ালসকলে থলুৱা লোকৰ লগত মিলা-মিচা কৰি থাকিবলৈ বেছি সুবিধা পাব। অসম উপত্যকালৈ অহা তৃতীয় শ্ৰেণীৰ

বাঙালী হ'ল দেশ-বিভাজনৰ পাচৰেপৰা এই পৰ্য্যন্ত আহি থকা প্ৰায় ৮ লাখ শৰণাৰ্থী বাঙালী। এই তৃতীয় শ্ৰেণীৰ নৱাগত বাঙালীসকলেই অসমত বাঙালী লোকৰ সংখ্যা হঠাতে বৃদ্ধি কৰি এটা সাংস্কৃতিক সংঘৰ্ষৰ সূচনা কৰিছে। অদূৰদৰ্শী অসম চৰকাৰেও এই বহিৰাগত শৰণাৰ্থীসকলক চাৰিওফালে সিঁচৰতি কৰি নিদি একো একোখন ঠাইত থুপ খাই বহিবলৈ সুবিধা দি তেওঁলোকৰ মনত উপনিবেশবাদী মনোভাৱ সৃষ্টি হোৱাত সহায় কৰিছে। যিহওক, অসমত লাখ লাখ থলুৱা ভূমিহীন লোক থকা সত্বেও দুৰ্ভাগ্যতা-জড়িত এই শৰণাৰ্থী বাঙালীসকলক অসমে অনুপম উদাৰতা দেখুৱাই নিজৰ মাজত গ্ৰহণ কৰিছে আৰু নিজে নাখায়ো তেওঁলোকক খাবলৈ সুবিধা দিছে। কিন্তু বহিবলৈ পালে শুবলৈ বিচৰাৰ দৰে এই লোকসকলে যদি এতিয়া অসমত ভাত-মুঠি খাবলৈ পোৱাৰ পাচত অসমীয়াৰ মাতযাৰো গ্ৰাস কৰিবলৈ বিচাৰে, তেন্তে তাতোকৈ বেছি দুৰ্ভাগ্যৰ কথা আন বোধহয় একোৱেই হ'ব নোৱাৰিব। প্ৰশাসন বা শিক্ষাৰ মাধ্যম হিচাবে অসমীয়া ভাষাক গ্ৰহণ কৰাৰ অৰ্থ এই নহয় যে তেওঁলোকে কোনো অৱস্থাতেই নিজৰ ভাষা-সাহিত্যৰ চৰ্চা কৰিব নোৱাৰিব। সাহিত্যানুৰাগী আৰু সংস্কৃতিবান বাঙালীসকল পৃথিবীৰ যি দেশলৈকে গৈছে তাত তেওঁলোক সংখ্যাত মাত্ৰ দহজন হ'লেও নিজৰ ভাষা-সাহিত্যৰ চৰ্চা কৰিবলৈ এৰা নাই। এই ক্ষেত্ৰত আত্মসন্মানবোধ-ৰহিত আৰু অনুকৰণপ্ৰিয় অসমীয়াসকলৰ বাঙালীসকলৰপৰা শিকিবলগীয়া কথা বহুত আছে। অসম উপত্যকাৰ বাঙালীসকলে নিজৰ ভাষা-সাহিত্যৰ চৰ্চা অব্যাহত ৰখাত কোনেও নিশ্চয় তেওঁলোকক বাধা দিবলৈ নাযায়, কিন্তু কেৱল মাত্ৰ ব্যাপক প্ৰব্ৰজনৰ দাবীত তেওঁলোকে অসমক দ্বি-ভাষিক ৰাজ্যত পৰিণত কৰিবলৈ চেষ্টা কৰিলে অসমত সাংস্কৃতিক সংঘৰ্ষ উত্তৰোত্তৰ বৃদ্ধি পাব, আৰু তাৰ পৰিণাম কাৰো কাৰণে ভাল নহ'ব। অসম উপত্যকাৰ বাঙালীসকলে এই দৃষ্টিকোণৰপৰা শিক্ষাৰ মাধ্যম সম্পৰ্কীয় মুখ্যমন্ত্ৰীৰ ঘোষণাটো বিচাৰ কৰি চাব বুলি আমি আশা কৰিলোঁ।

তৃতীয়তে, অসমীয়া ৰাইজৰ দাবী আছিল এয়েই যে কোনো অৱস্থাতেই গুৱাহাটী বা ডিব্ৰুগড় বিশ্ববিদ্যালয়ক দ্বি-ভাষিক হ'বলৈ দিব নালাগিব। তেওঁলোকৰ সেই দাবী পূৰণ হৈছে। অসমত সকলো ক্ষেত্ৰতে অসমীয়া ভাষাৰ অধিকাৰ সু-প্ৰতিষ্ঠিত কৰিবলৈ ইয়াৰ পৰৱৰ্তী পদক্ষেপ কি লব লাগিব সেই কথা অতি ধীৰে সুস্থিৰে বিবেচনা কৰিব লাগিব। লগতে এই কথাও মনত ৰাখিব লাগিব যে কেৱল আইনৰ সহায়ত এটা ভাষা জীয়াই থাকিব নোৱাৰে; তাৰ বিকাশ ঘটিব নোৱাৰে। ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে এটা জাতিৰ নিৰলস সৃষ্টিশীল পৰিশ্ৰম আৰু ৰুচিৰ উৎস সাধনাৰ প্ৰয়োজন। দুখৰ বিষয় যে অসমীয়া জাতিয়ে মাতৃভাষাৰ অধিকাৰ প্ৰতিষ্ঠাৰ যোগেদি আত্মপৰিচয় (Identity) ব্যক্ত বা প্ৰতিষ্ঠিত কৰিবলৈ কিমানখিনি ব্যাকুলতা দেখুৱাইছে, সাংস্কৃতিক বিকাশ বা ৰুচিবোধৰ উৎকৰ্ষৰ কাৰণে সেই অনুপাতে অনুৰাগ দেখুওৱা নাই। অপ্ৰিয় হ'লেও এই কথা স্বীকাৰ কৰিব লাগিব যে যি অসমীয়া ভাষাৰ দাবীত অসমীয়া ডেকাই প্ৰাণ উচৰ্গা কৰিবলৈ প্ৰস্তুত সেই অসমীয়া ভাষা শুদ্ধকৈ লিখিব পৰা অসমীয়া শিক্ষিত ডেকা শতকৰা কুৰিজনো ওলাবনে নোলায় সন্দেহ। নিজৰ ভাষাটো শুদ্ধকৈ শিকিবৰ অনাগ্ৰহে বা নিজ ভাষাৰ কিতাপ-কাকত আদিৰ প্ৰতি অকল্পনীয় উদাসীনতাই নিশ্চয় ভাষা-প্ৰেমৰ পৰিচয় নিদিয়ে। অসমৰ শাসন-ব্যৱস্থা আৰু শিক্ষানুষ্ঠানত অসমীয়া ভাষাই তাৰ ন্যায্য স্থান লাভ কৰিবই; ইয়াৰ সুযোগ লৈ শিক্ষিত অসমীয়া ডেকা-সমাজে নিজৰ মাতৃভাষাক সকলো ফালৰপৰা সমৃদ্ধিশালী কৰি তুলিবলৈ চেষ্টা কৰক; তেতিয়াহে তেওঁলোকৰ ভাষা-প্ৰেমৰ প্ৰকৃত পৰিচয় ফুটি উঠিব।

সাপ্তাহিক নীলাচল, ২০১ সংখ্যা ঃ ৪ অক্টোবৰ, ১৯৭২

আইনৰ শাসন

মেথ্যু আৰ্ণল্ডে কৈছিল ঃ "Conduct is three-fourth of our life and its largest concern." — কেইদিনমানৰ আগতে চিলঙৰ পাইন-উড্ হোটেলত মুখ্যমন্ত্ৰীয়ে দিয়া এখন ভোজ-মেলত দুজন কংগ্ৰেছী এম এল এ'ই নিমন্ত্ৰিত সাংবাদিক এজনক প্ৰহাৰ কৰি যি অভূতপূৰ্ব কেলেঙ্কাৰীৰ সৃষ্টি কৰিলে — সেই সম্পৰ্কত মেথ্যু আৰ্ণল্ডৰ ওপৰোক্ত কথাষাৰ মনলৈ আহিল। দোষ সাংবাদিকৰ আছিল নে এম এল এ'ৰ আছিল — আমি সেই কথা বিচাৰ কৰিবলৈ নাযাওঁ। কিন্তু আধুনিক সভ্য সমাজৰ প্ৰধান নৈতিক ভেটি হৈছে আইনৰ শাসন, অৰ্থাৎ দোষ যিয়েই নকৰক তাৰ বিচাৰ বা শাস্তি-বিধানৰ ভাৰ কোনো ব্যক্তিয়ে নিজৰ হাতত নলৈ দেশৰ প্ৰচলিত আইনৰ হাতত এৰি দিব লাগিব। দোষ বা অন্যায় দেখিলেই বিধি-সঙ্গত বিচাৰৰ অপেক্ষা নকৰি বা দোষীজনক আত্ম-পক্ষ সমৰ্থনৰ সুবিধা নিদি মাৰ-ধৰ কৰাটো সভ্য-সমাজৰ আইন নহয়, সি হ'ল জংঘলৰ আইন বা গুণ্ডাৰ আইন। আইনৰ শাসনৰ সৰ্বোচ্চ প্ৰতীক হ'ল বিধানসভাখন। কিন্তু সেই বিধানসভাৰ সদস্য একোজনেই যেতিয়া আইনৰ বিচাৰলৈ বাট নাচাই পেশীৰ শক্তি-প্ৰদৰ্শনৰ দ্বাৰা বিচাৰৰ ভাৰ নিজৰ হাতত তুলি লয়, তেতিয়া সমাজৰ কাৰণে আইন প্ৰণয়ন কৰিবলৈ সেই মানুহজনৰ কিবা নৈতিক অধিকাৰ থাকেনে? পাইন-উড্ হোটেলৰ উপৰোক্ত ঘটনা কংগ্ৰেছী বিধায়ক দলৰ কাৰণে এটা দুৰপণেয় কলঙ্ক।

বাতৰিত প্ৰকাশ পোৱা মতে এই ঘটনা ঘটিছিল স্বয়ং মুখ্যমন্ত্ৰীৰ চকুৰ আগত। মুখ্যমন্ত্ৰীৰ নৈতিক কৰ্তৃত্বৰ প্ৰতি ইয়াতকৈ ডাঙৰ প্ৰত্যাহ্বান আৰু তেওঁৰ ব্যক্তিত্বৰ প্ৰতি ইয়াতকৈ ডাঙৰ অসন্মান আন একোৱেই হ'ব নোৱাৰে। ৰাইজে বহুত আশা কৰি ডেকা মানুহক এইবাৰ বিধান সভালৈ পঠাইছিল। ডেকা-শক্তিৰপৰা ৰাইজে এনে আচৰণকেই আশা কৰিছিল নে?

সাপ্তাহিক নীলাচল, ২০২ সংখ্যা : ১১ অক্টোবৰ, ১৯৭২

শিক্ষাৰ মাধ্যম আৰু ভবিষ্যত অসম

(এক)

অসম বিধান সভাই ২৩ চেপ্তেম্বৰ তাৰিখে শিক্ষাৰ মাধ্যম সম্পৰ্কে গ্ৰহণ কৰা সৰ্বসম্মত প্ৰস্তাৱৰ পিচত ব্ৰহ্মপুত্ৰ উপত্যকা আৰু কাছাৰ – অৰ্থাৎ সমগ্ৰ অসমজুৰি তাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়াই দেখা দিছে। বিধান সভাত গৃহীত এক সৰ্বসম্মত সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যজোৰা এনে ব্যাপক বিক্ষোভৰ উদাহৰণ সম্ভৱতঃ এয়েই প্ৰথম।

ব্ৰহ্মপুত্ৰ উপত্যকা আৰু কাছাৰ উভয়তে প্ৰতিবাদ ব্যাপক আৰু তীব্ৰ হ'লেও উদ্দেশ্য কিন্তু একে নহয়। উদ্দেশ্য সম্পূৰ্ণ বিপৰীত-ধৰ্মী।

বিধান সভাৰ প্ৰস্তাৱত কোৱা হৈছিল গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হ'ব। অৱশ্যে ইংৰাজীও শিক্ষাৰ মাধ্যম হিচাবে চলি থাকিব। ১৯৬০ চনৰ ভাষা আইনৰ লগত সঙ্গতি ৰাখি কাছাৰত এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপিত হ'ব লাগে আৰু তাৰ ব্যৱস্থাৰ কাৰণে অসমে কেন্দ্ৰক জনাব।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰতিবাদৰ কাৰণ হ'ল – কাছাৰত সুকীয়া এখন বিশ্ববিদ্যালয়ৰ অৰ্থ অসমক দ্বিভাষী কৰা। কাছাৰতো শিক্ষাৰ মাধ্যম বিশ্ববিদ্যালয়ৰ স্তৰলৈকে অসমীয়া হ'ব লাগে। ভাষা ভিত্তিক ৰাজ্যৰ গঠনৰ সূত্ৰ অনুসৰি অসমৰ প্ৰশাসন আৰু প্ৰশিক্ষণ উভয়তে অসমীয়া ভাষাৰ বাহিৰে অন্য ভাষা হ'ব নোৱাৰিব।

কাছাৰত হোৱা প্ৰতিবাদৰ কাৰণ হ'ল – কাছাৰক সুকীয়া বিশ্ববিদ্যালয়ৰ প্ৰয়োজন নাই। অসমত সংখ্যালঘু সকলৰ প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১২ জুনৰ প্ৰস্তাৱে ঘোৰ অবিচাৰ কৰিছে। তাৰ পৰিৱৰ্তে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়াৰ লগতে বাংলাও শিক্ষাৰ মাধ্যম হিচাবে ঘোষণা কৰিব লাগে।

ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰতিবাদৰ তীব্ৰতা কিমান দূৰ পৰ্য্যন্ত গৈছিল – শিৱসাগৰ, মিকিৰ পাহাৰ আৰু লক্ষীমপুৰ জিলাৰ বাহিৰে উপত্যকাৰ আন কেইখন জিলাৰ বিভিন্ন অংশত সান্ধ্য আইন আৰু ১৪৪ ধাৰা প্ৰয়োগ কৰিব লগা হোৱা, দুজন ছাত্ৰকে ধৰি কেবাজনৰো অকাল মৃত্যু, বহু আহত হোৱা, ঠায়ে ঠায়ে অগ্নি সংযোগ, পুলিচৰ লাঠি-গুলী চালনা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাইজৰ স্বতঃস্ফূৰ্ত সমৰ্থনত ছাত্ৰসকলৰ সফল পিকেটিং হ'ল তাৰ প্ৰমাণ। এই ব্যাপক বিক্ষোভত শিক্ষাৰ মাধ্যম প্ৰস্তাৱৰ পুনৰ বিবেচনাৰ দাবীৰপৰা আৰম্ভ কৰি সিংহ মন্ত্ৰীসভাৰ পদত্যাগলৈকে দাবী তোলা হৈছে, মুখ্য মন্ত্ৰী আৰু বিধান সভাৰ প্ৰতিকৃতি দাহ, আৰু মানুহৰ থকা ঘৰতো অগ্নি সংযোগ কৰা হৈছে বুলি প্ৰকাশ। তেনে কামৰ গৰিহণা দিয়া দূৰে থাওক, কোনো কোনো কাকতে চকুত লগাকৈ তেনে খবৰ প্ৰকাশ কৰি কাৰ্য্যতঃ তেনে কামত উদগনি দিয়াৰ নমুনাও নথকা নহয়।

কাছাৰ জিলাত আন্দোলনে সিমান তীব্ৰ আকাৰ ধাৰণ কৰা নাই। সম্ভৱতঃ তাৰ কাৰণ দুটা। প্ৰথমতঃ

কাছাৰ জিলাৰ এখন কলেজৰ তৰফৰপৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১২ জুনৰ প্ৰস্তাৱে সংখ্যালঘুৰ অধিকাৰ ব্যাহত কৰিছে বুলি উচ্চতম ন্যায়ালয়ত যি গোচৰ তৰা হৈছে, কাছাৰৰ 'সংগ্ৰাম পৰিষদ' হয়তো তাৰেই ৰায় প্ৰকাশৰ প্ৰতীক্ষাত আছে। দ্বিতীয় কাৰণ হয়তো ব্ৰহ্মপুত্ৰ উপত্যকাৰপৰা উঠা দাবীত যদি কাছাৰৰ দাবীও পূৰণ হয় তেন্তে কাছাৰত ব্যাপক আন্দোলনৰ কোনো প্ৰয়োজন নহ'ব। কাৰণ কাছাৰেও সুকীয়া বিশ্ববিদ্যালয় নিবিচাৰে। সুকীয়া বিশ্ববিদ্যালয় সাম্প্ৰতিকে নলগা প্ৰস্তাৱ বাতিল কৰাব পাৰিলে গুৱাহাটী বিশ্ববিদ্যালয়ত বাংলা মাধ্যমৰ দাবী পিচতো তুলিব পৰা হ'ব। সম্ভৱতঃ এই দুই কাৰণতে কাছাৰত ঘোষিত 'সংগ্ৰাম' স্থগিত ৰখা হৈছে।

অসম বিধান সভাত শিক্ষা-মাধ্যম প্ৰস্তাৱ গৃহীত হোৱাৰ পিচত সমগ্ৰ অসম জুৰি প্ৰকাশ পোৱা ব্যাপক বিক্ষোভৰপৰা আপাত দৃষ্টিত ধাৰণা হোৱা স্বাভাৱিক যে অসম চৰকাৰ, বিধান সভাত প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক দলসমূহ আৰু নিৰ্দলীয় প্ৰতিনিধিসকল অসমৰ স্বাৰ্থ, অসমৰ সমস্যা আৰু অসমৰ গণতান্ত্ৰিক মতামত সম্পৰ্কে হয় সম্পূৰ্ণ অজ্ঞ, নহয় তেখেতসকলে জানি-শুনি কোনো অদৃশ্য শক্তিৰ প্ৰভাৱত অসমৰ সামগ্ৰিক স্বাৰ্থৰ প্ৰতিকূলে সিদ্ধান্ত গ্ৰহণ কৰিছে। আচলতে কিন্তু তেনে নহয়।

২৩ চেপ্টেম্বৰৰ আগলৈকে অসমত জনমত

ৰাজনৈতিক সংগঠন, শিক্ষা-সংস্কৃতিৰ প্ৰতিষ্ঠান আৰু সংবাদ-পত্ৰকে গণতান্ত্ৰিক মতামত প্ৰকাশৰ প্ৰধান মাধ্যম হিচাবে ধৰা হয়। যদি সেয়ে হয়, তেন্তে জুন মাহৰ মাজ ভাগলৈকে অৰ্থাৎ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৬ জুনৰ প্ৰস্তাৱত বাংলা ভাষাৰ যোগেও ছাত্ৰই উত্তৰ দিব পৰা ব্যৱস্থা দানৰ সিদ্ধান্ত ঘোষণা কৰাৰ আগলৈকে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু কাছাৰৰ ভাষা সম্পৰ্কীয় মতামত প্ৰধানতঃ প্ৰকাশ পাইছিল ১৯৬০ চনৰ ভাষা আইনৰ অনুকূলে। ২৩ চেপ্টেম্বৰৰ বিধান সভাৰ প্ৰস্তাৱৰো মূল ভিত্তি আছিল সেয়ে।

সেই অনুকূল মতামত প্ৰকাশ পাইছিল অসমৰ ৰাজনৈতিক দলসমূহৰ প্ৰস্তাৱৰ যোগে। প্ৰায় সকলো ৰাজনৈতিক দলৰে প্ৰস্তাৱত কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰশাসন আৰু প্ৰশিক্ষণৰ সকলো ক্ষেত্ৰত আৰু সকলো স্তৰত অসমীয়া কৰাৰ দাবীকেই তোলা হৈছিল। কাছাৰতো অসমীয়া ভাষা প্ৰচলন কৰিব লাগিব বুলি কোনো ৰাজনৈতিক দলে স্পষ্ট প্ৰস্তাৱ লোৱা নাছিল।

অসমৰ প্ৰধান প্ৰধান বাতৰি কাকত আৰু আলোচনীসমূহেও বিভিন্ন সময়ত এই সমস্যাৰ আলোচনা কৰিছে। কিন্তু সকলোৱেই অসমৰ ঐক্য, সংহতি আৰু সম্প্ৰীতিৰ অনুকূলে সিদ্ধান্ত হোৱাকেই কামনা কৰি আহিছিল।

অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতিনিধিত্ব দাবী কৰা প্ৰধানতম প্ৰতিষ্ঠান হ'ল অসম সাহিত্য সভা। সাহিত্য সভাৰ তৰফৰপৰা সভাৰ বৰ্তমান সভাপতি শ্ৰদ্ধেয় হেম বৰুৱা, প্ৰাক্তন সভাপতি শ্ৰদ্ধেয় তীৰ্থনাথ শৰ্মা, বৰ্তমান সাধাৰণ সম্পাদক শ্ৰদ্ধেয় যতীন্দ্ৰ নাথ গোস্বামী আৰু শ্ৰদ্ধেয় প্ৰসন্নৰাম দাসে ৫ জুন তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰত কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাতহে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ দাবী তুলিছিল। সেই স্মাৰক পত্ৰৰ সাৰমৰ্ম ব্যাখ্যা কৰিয়েই সাধাৰণ সম্পদক শ্ৰদ্ধেয় গোস্বামীদেৱে বাতৰি কাকতলৈ দিয়া বিবৃতিত কৈছিল —

"অসম সাহিত্য সভাই ঊনচত্বৰিংশ সন্মিলনত স্পষ্টভাৱে কৈছে যে ৰাজ্যিক ভাষা অসমীয়া প্ৰযোজ্য

অঞ্চলসমূহৰ কলেজৰ শিক্ষাৰ মাধ্যম একমাত্ৰ অসমীয়া হ'ব লাগে। অৰ্থাৎ ব্ৰহ্মপুত্ৰ উপত্যকাৰ শিক্ষাৰ মাধ্যম অসমীয়া হ'ব লাগে।"

— *'দৈনিক অসম', ৬ জুন '৭২*

গুৱাহাটী বিশ্ববিদ্যালয়ে ৬ জুনৰ প্ৰস্তাৱত বিশ্ববিদ্যালয়ৰ ভাষাৰ মাধ্যম অসমীয়া আৰু ইংৰাজী কৰাৰ কথা ঘোষণা কৰি আৰু ছাত্ৰসকলে প্ৰশ্ন কাকতৰ উত্তৰ প্ৰদান ক্ষেত্ৰত অসমীয়া আৰু ইংৰাজীৰ লগতে বাংলা ভাষা ব্যৱহাৰ কৰিব পাৰিব বুলি কোৱা সিদ্ধান্তৰ প্ৰতিবাদত দিয়া বিবৃতি প্ৰসঙ্গতো অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক শ্ৰদ্ধেয় গোস্বামীদেৱে কৈছিল —

"অসম সাহিত্য সভাৰ সঁজাতী দলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যক স্পষ্টভাৱে জনাইছিল যে সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ প্ৰস্তাৱ অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াই একমাত্ৰ শিক্ষাৰ মাধ্যম হ'ব লাগে আৰু প্ৰশ্নোত্তৰৰ ক্ষেত্ৰত অসমীয়াৰ লগতে ইংৰাজীৰ ব্যৱহাৰ ব্যৱস্থা কিছু বছৰৰ কাৰণে ৰাখিব লাগে। কিন্তু উক্ত বিশ্ববিদ্যালয়ে তিনিওটা ভাষাত প্ৰশ্নোত্তৰৰ ব্যৱস্থা কৰি পৰিস্থিতি জটিল কৰিলে। কাছাৰ জিলাৰ ক্ষেত্ৰত এই ব্যৱস্থা কৰা হ'লে অনিষ্টৰ আশংকা নাছিল।"

— *'দৈনিক অসম', ৯ জুন '৭২*

গুৰুত্ব দি প্ৰকাশ কৰা বাক্য কেইটিয়ে এই কথা প্ৰমাণ কৰে যে সাহিত্য সভাই ব্ৰহ্মপুত্ৰ উপত্যকাতহে শিক্ষাৰ মাধ্যম অসমীয়া হোৱাটো সাহিত্য সভাৰ যোগে দাবী কৰি আহিছিল। কাছাৰ জিলাত শিক্ষাৰ মাধ্যম অসমীয়া হোৱা সাহিত্য সভাই দাবী কৰা নাই আৰু কাছাৰত শিক্ষাৰ মাধ্যম অসমীয়া হ'লে সাহিত্য সভাই কোনো 'অনিষ্ট'ৰ আশংকা কৰা নাছিল।

সাহিত্য সভাৰ পিচতে অসমীয়া ভাষা-সংস্কৃতিক বাস্তৱ ৰূপ দিয়াৰ কৰ্তৃত্বসম্পন্ন প্ৰতিষ্ঠান বিশ্ববিদ্যালয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰদ্ধেয় সুৰেশ চন্দ্ৰ ৰাজখোৱাদেৱে বাতৰি কাকতৰ প্ৰতিনিধিৰ লগত হোৱা এক সাক্ষাৎ প্ৰসঙ্গত যোৱা ১৫ মে' তাৰিখে কৈছিল —

"গুৱাহাটী বিশ্ববিদ্যালয়ে ইয়াৰ পৰিসীমাৰ ভিতৰত (জুৰিছডিক্চন) থকা কলেজসমূহত এই শিক্ষা বছৰৰ পৰাই অসমীয়া, ইংৰাজী আৰু বাংলা ভাষাত প্ৰশ্নোত্তৰ দিব পৰা বিকল্প ব্যৱস্থা সহ অসমীয়া আৰু লগতে ইংৰাজী ভাষাক শিক্ষাৰ মাধ্যম হিচাবে প্ৰচলন কৰাৰ কাৰণে বদ্ধপৰিকৰ।"

— *'অসম ট্ৰিবিউন', ১৬ মে' ৭২*

সেই ঘোষণাৰ অনুকূলেই বিশ্ববিদ্যালয়ৰ একাডেমিক কাউঞ্চিলে ৬ জুনৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰে। গতিকে বিশ্ববিদ্যালয়ৰ নীতিও যে আগৰপৰাই কাছাৰত শিক্ষাৰ মাধ্যম বাংলা কৰাৰ বিপক্ষে আছিল তেনে নহয়।

অসম সাহিত্য সভা আৰু বিশ্ববিদ্যালয়ৰ দৰেই শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত দায়িত্বপূৰ্ণ অভিমত প্ৰকাশ কৰা অন্যতম প্ৰতিষ্ঠান হ'ল অসমৰ কলেজসমূহৰ শিক্ষক সন্থা। এই প্ৰতিষ্ঠান ব্ৰহ্মপুত্ৰ উপত্যকা আৰু কাছাৰৰ শিক্ষকসকলৰ মিলিত প্ৰতিষ্ঠান। বহু প্ৰশংসনীয় আন্দোলন এই সন্থাই মিলিতভাৱে কৰি আহিছে। অসম কলেজ শিক্ষক সন্থাৰ তৰফৰপৰা মে' মাহৰ ১২ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যক লেখা কৰি সন্থাৰ অভিমত জনাইছিল এই বুলি —

"ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো কলেজতে অসমীয়া মাধ্যম হ'ব লাগে আৰু কাছাৰ জিলাৰ কলেজ কেইখনত বাংলা মাধ্যম ব্যৱহাৰ কৰিবলৈ দিব লাগে।"

— *'দৈনিক অসম', ১৩ মে '৭২*

গুৱাহাটী বিশ্ববিদ্যালয়ে বাংলা ভাষাৰ যোগে প্ৰশ্নোত্তৰ দিব পৰা ব্যৱস্থা সহ ৬ জুনৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ আগতে গুৱাহাটী ছাত্ৰ সন্থাৰ তৰফৰপৰাও এটি প্ৰতিনিধি দলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যদেৱৰ লগত সাক্ষাৎ কৰি দাবী জনাইছিল —

"কেৱল অসমীয়া ভাষাক ব্ৰহ্মপুত্ৰ উপত্যকাৰ একমাত্ৰ শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰিব লাগে।"

— *'দৈনিক অসম'*, ৬ জুন '৭২

অসম টেক্সবুক কমিটীৰ তৰফৰপৰাও আগতেই তেনে প্ৰস্তাৱকে লোৱা হৈছিল আৰু ২৫ লাখ টকা বাঙালী কিতাপ প্ৰকাশ কৰাৰ কাৰণে ধৰা হৈছিল। তেনে দৰেই অন্যান্য সন্থাৰপৰাও মতামত প্ৰকাশ কৰা হৈছিল। উক্ত মতামত সমূহৰপৰা এই কথাই স্পষ্ট যে সকলোৱে ব্ৰহ্মপুত্ৰ উপত্যকাতহে শিক্ষাৰ মাধ্যম অপৰিহাৰ্য্যভাৱে অসমীয়া হোৱাটো দাবী কৰিছিল। কাছাৰত নহয়।

সাপ্তাহিক নীলাচল, ২০৩ সংখ্যা : ২৫ অক্টোবৰ, ১৯৭২

ভাষা-সমস্যাৰ স্থায়ী আৰু চূড়ান্ত সমাধান

Error of opinion may be tolerated where reason is left free to combat it.
– Thomas Jefferson

(১)

ভাৰতৰ জাতীয় কংগ্ৰেছে স্বাধীনতা লাভ কৰাৰ বহু পূৰ্বেই ভাষাৰ ভিত্তিত বিভিন্ন ৰাজ্যসমূহ গঠন কৰাৰ সিদ্ধান্ত লৈছিল। ভাৰতীয় জাতীয়তা আৰু সংস্কৃতিক যদিও এটা অখণ্ড আৰু অবিভাজ্য সত্তা বুলি ধৰি লোৱা হয়, তথাপি ই আচলতে বিভিন্ন খণ্ড-জাতি আৰু সংস্কৃতিৰ সমষ্টি মাত্ৰ। এই খণ্ড-জাতিসমূহৰ পৃথক সত্তা (Sub-national identities) বিনষ্ট বা নিশ্চিহ্ন কৰি ভাৰতৰ সাংস্কৃতিক ঐশ্চৰ্য্য আৰু ৰাজনৈতিক ঐক্য ৰক্ষা কৰা সম্ভৱ নহয়। এই খণ্ড-জাতীয় পৃথক সত্তা নিৰূপণ কৰাৰ কেৱল দুটা মাপ-কাঠি আছে : এটা হ'ল ধৰ্ম, আনটো ভাষা। জাতীয়তা আৰু সংস্কৃতিৰ মাপ-কাঠি হিচাবে ধৰ্মক গ্ৰহণ কৰা হ'লে ভাৰতবৰ্ষই মধ্যযুগলৈ ঘূৰি যাব লাগিলহেঁতেন। গতিকে ভাৰতৰ বিভিন্ন খণ্ড-জাতিসমূহৰ পৃথক সত্তা নিৰূপণৰ কাৰণে কংগ্ৰেছে উচিতভাবেই ধৰ্মক বাতিল কৰি ভাষাকেই একমাত্ৰ ভিত্তি বুলি গ্ৰহণ কৰিলে আৰু ভাষাৰ ভিত্তিত ৰাজ্যসমূহ পুনৰ গঠন কৰাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰি ল'লে।

ইয়াৰ পিচত ইতিহাস সকলোৰে সুবিদিত। স্বাধীনতা লাভৰ কেইবছৰমানৰ ভিতৰতে ভাৰতৰ ৰাজ্যসমূহ ভাষাৰ ভিত্তিত নতুনকৈ গঠন কৰা হ'ল। ভাৰতৰ ব্যৱসায়-বাণিজ্য আৰু উদ্যোগৰ প্ৰাণকেন্দ্ৰ বোম্বাই [illegible] লৈ টনা-আঁজোৰা চলাৰ ফলত বোম্বাই ৰাজ্যখনক দ্বি-ভাষিক কৰি ৰাখিবলৈ কিছুদিন ধৰি এটা ব্যৰ্থ চেষ্টা চলিছিল; কিন্তু জনসাধাৰণৰ আন্দোলনৰ ফলত সেই ৰাজ্যকো দ্বি-খণ্ডিত কৰি ভাষাৰ ভিত্তিত মহাৰাষ্ট্ৰ আৰু গুজৰাট নামেৰে দুখন ৰাজ্য গঠন কৰিবলৈ চৰকাৰ বাধ্য হ'ল। ঠিক এইদৰে সংবিধান-স্বীকৃত প্ৰত্যেকটো প্ৰধান ভাৰতীয় ভাষাই নিজৰ অবাধ বিকাশ আৰু অসপত্ন অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে একোখনকৈ গৃহভূমি লাভ কৰিলে।

ব্যতিক্ৰম হৈ ৰ'ল কেৱল অসম। ৰাজ্য পুনৰ গঠন আয়োগে মন্তব্য কৰিলে যে কোনো ৰাজ্যক একভাষী বুলি ঘোষণা কৰিবলৈ হ'লে সেই ৰাজ্যৰ অন্ততঃ শতকৰা সত্তৰজন বা তাতোকৈ বেছি মানুহে এটা বিশেষ ভাষা ক'ব লাগিব; কিন্তু সেই সময়ত অসমত অসমীয়াভাষী মানুহৰ সংখ্যা আছিল প্ৰায় শতকৰা ৫৫ জন মাত্ৰ। গতিকে ৰাজ্য পুনৰ গঠন আয়োগে অসমক এখন বহুভাষী ৰাজ্য বুলি ঘোষণা কৰিলে। ফলত ১৯৬০ চনৰ ৰাজ্য-ভাষা আইন গ্ৰহণ কৰিবৰ সময়ত বৃহত্তম সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ ভাষা হিচাবে অসমীয়াক ৰাজ্য-ভাষাৰ মৰ্যাদা দিয়া হ'ল যদিও পাহাৰী জিলাকেইখনক ইংৰাজী আৰু কাছাৰক বাংলা জিলা-পৰ্য্যায়ত ব্যৱহাৰ কৰিবলৈ অনুমতি দিব লগা হ'ল। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হ'ল যে যি ক্ষেত্ৰত ভাৰতৰ অন্যান্য ৰাজ্যবোৰ ভাষাৰ ভিত্তিত পুনৰ গঠিত কৰি তেওঁলোকৰ Sub-national identity প্ৰতিষ্ঠা কৰিবলৈ সুবিধা দিয়া হ'ল, তেনেস্থলত অসমৰ ক্ষেত্ৰত ৰাজনৈতিক আৰু প্ৰশাসনিক বিবেচনাক প্ৰাধান্য দি অসমীয়া ভাষা-সংস্কৃতি-জাতিয়তাক তাৰ এখন নিজস্ব আৰু অসপত্ন গৃহ-ভূমিৰপৰা বঞ্চিত কৰা হ'ল।

১৯৬০ চনৰ অসমত ঘাইকৈ তিনিটা ভাষা-গোষ্ঠীৰ তিনিটা সুকীয়া অঞ্চল আছিল : (১) অসমীয়া ভাষা-প্ৰধান ব্ৰহ্মপুত্ৰ উপত্যকা (২) ইংৰাজী ভাষা-প্ৰধান পাহাৰী জিলাকেইখন (মিকিৰ পাহাৰক বাদ দি) আৰু (৩) বাংলা ভাষা-প্ৰধান কাছাৰ জিলা। যথাসময়ত ইংৰাজী ভাষা-প্ৰধান পাহাৰী জিলাকেইখন অসমৰপৰা আঁতৰি গ'ল। একে সময়তে বাংলা ভাষা-প্ৰধান কাছাৰ জিলাখনো পৃথক হৈ যোৱা হ'লে ব্ৰহ্মপুত্ৰ উপত্যকা তথা চিৰন্তন অসমক লৈ সম্পূৰ্ণ এখন অসমীয়া-ভাষী অসম ৰাজ্য প্ৰতিষ্ঠিত হ'লহেঁতেন। কিন্তু কাছাৰে তাকে নকৰি গল-গ্ৰহৰ দৰে অসমৰ ডিঙিত লাগি ৰ'ল।

(২)

পঞ্চাশৰ দশকত ভাষাৰ ভিত্তিত ৰাজ্য গঠন কৰিবলৈ গৈ অসম এখন বহুভাষী ৰাজ্য হৈ ৰ'ল। ষাঠিৰ দশকত অসমত অসমীয়া ভাষাক ৰাজ্য-ভাষা কৰিবলৈ গৈ স্বৰূপাৰ্থত ই এখন দ্বি-ভাষী ৰাজ্যত পৰিণত হ'ল। এতিয়া সত্তৰৰ দশকত উচ্চ-শিক্ষাৰ মাধ্যম হিচাবে অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰিবলৈ গৈ আমি শেষ বাৰৰ কাৰণে এই প্ৰশ্নৰ সম্মুখীন হৈছোঁ : অসমীয়া জাতীয়তা আৰু ভাষা-সংস্কৃতিৰ পীঠ-স্থান হিচাবে আমি অসমক এখন একভাষী ৰাজ্য কৰি সৃষ্টি কৰিম, নে আবেগৰ বশবৰ্তী হৈ অন্যান্য বিবেচনাত আমি বিভিন্ন ছদ্মৰূপত অসমক দ্বি-ভাষী কৰি ৰখাৰ পথ মুকলি কৰি ৰাখিম? আমি ভাবোঁ যে ভাষাৰ প্ৰশ্নত এইটোকেই আমি অসমৰ ভৱিষ্যত নিৰ্ণয় কৰাৰ শেষ সুযোগ বুলি গ্ৰহণ কৰা উচিত।

স্বাধীনতাৰ পূৰ্বে শ্ৰীহট্ট জিলাখন যেতিয়া অসমৰ লগত আছিল, তেতিয়া অসম উপত্যকাৰ সকলো ন্যায্য দাবী আৰু আশা-আকাংক্ষাৰ বিৰুদ্ধে পদে পদে বাধাৰ সৃষ্টি কৰিছিল এই এখন মাত্ৰ জিলাই। অসমত হাইকোৰ্ট আৰু বিশ্ববিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত সমগ্ৰ অসমবাসীৰ বিৰুদ্ধে এই এখন মাত্ৰ জিলাই কিমান এটা বিৰাট প্ৰতিবন্ধকৰ সৃষ্টি কৰি অসমৰ উন্নতি বহু বছৰ পিচুৱাই দিলে — সেই তিক্ত স্মৃতি অসমীয়া জাতিৰ মনৰপৰা কেতিয়াও সহজে মচ খাই যাব নোৱাৰে। অসমৰ ডিঙিত গল-গ্ৰহৰ দৰে লাগি ধৰা এই জিলাখনক কেতিয়া কেনেকৈ ছিঙি দলিয়াই পেলাব পাৰি — সেইটোৱেই আছিল তেতিয়া অসমীয়াসকলৰ অন্যতম প্ৰধান চিন্তা। ঘটনাক্ৰমে শ্ৰীহট্ট জিলা নিজে নিজেই এদিন অসমৰপৰা আঁতৰি যাব লগা হ'ল। কিন্তু শ্ৰীহট্ট জিলাই এৰি থৈ যোৱা সেই প্ৰাচীন ভূমিকাত এতিয়া অৱতীৰ্ণ হৈছে কাছাৰ। তদুপৰি এৰিলেও কপটিয়ে নেৰাৰ দৰে প্ৰাচীন শ্ৰীহট্টবাসীসকলেই ব্যাপক প্ৰব্ৰজনৰ দ্বাৰা কাছাৰ দখল কৰি ঠিক অতীতৰ দৰে অসমৰ চুকতে থাকি বুকত কামোৰাৰ চেষ্টা কৰি যাব ধৰিছে।

বৰ্তমান অসমৰ বাৰখন জিলাৰ ভিতৰত কাছাৰ মাত্ৰ এখন জিলা। কিন্তু এই এখন মাত্ৰ জিলাই বাকী এঘাৰখন জিলাৰ সমানে সমানে সকলো কথা দাবী কৰে আৰু এই এখন মাত্ৰ জিলাৰ মুখলৈ চায়েই বাকী এঘাৰখন জিলাৰ দাবী বিচাৰ কৰিব লগা হয়। এনে এটা অৱস্থা চিৰকাল চলি থাকিবলৈ দিব পাৰিনে?

শিক্ষাৰ মাধ্যমক কেন্দ্ৰ কৰি বৰ্তমান যি সমস্যাৰ সৃষ্টি হৈছে তাৰ দুটা মাত্ৰ সমাধান হ'ব পাৰে : (১) বিশ্ববিদ্যালয় ১২ জুনৰ সিদ্ধান্তক সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰা, অথবা (২) এই সুযোগতে কাছাৰক অসমৰপৰা বিচ্ছিন্ন কৰি দিয়া।

বিশ্ববিদ্যালয়ৰ ১২ জুনৰ সিদ্ধান্ত মতে উচ্চ-শিক্ষাৰ মাধ্যম হ'ব কেৱল অসমীয়া; কিন্তু বিকল্প মাধ্যম হিচাবে দহ বছৰৰ কাৰণে ইংৰাজী ভাষাও চলি থাকিব। কাছাৰে যদি এই সিদ্ধান্তক আন্তৰিকতাৰে গ্ৰহণ কৰিব খোজে, তেন্তে এই দহ বছৰৰ ভিতৰতে প্ৰাথমিক আৰু মাধ্যমিক পৰ্য্যায়ত অসমীয়া ভাষা শিকাৰ ব্যৱস্থা

সম্পূৰ্ণ কৰি দহ বছৰৰ পিচত তেওঁলোকে একমাত্ৰ অসমীয়াৰ মাধ্যমেদি উচ্চ-শিক্ষা লাভ কৰিবলৈ সাজু হ'ব পাৰিব। সেয়ে হ'লে অসমৰ ভাষা-সমস্যাৰ ইয়াতকৈ ভাল সমাধান নিশ্চয় আন একো হ'ব নোৱাৰে।

কিন্তু সমস্যাৰ সৃষ্টি হ'ব – যদিহে কাছাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ এতিয়াই অস্বীকাৰ কৰে; অথবা সদ্যহতে এই সিদ্ধান্ত মানি লৈ দহ বছৰৰ কাৰণে তাপ মাৰি থাকি ভৱিষ্যতে পুনৰ অসমীয়া ভাষাৰ সমানে সমানে বাংলা ভাষাৰ দাবীকো সাব্যস্ত কৰিবলৈ চেষ্টা কৰে। আমি ভাবোঁ যে এই দুয়োটা সম্ভাৱনাই অতি প্ৰবল আৰু সুনিশ্চিত; সেই কাৰণে আমি ছাত্ৰ সমাজৰ নেতৃত্বত চলা ভাষা-আন্দোলনৰ মৌলিক লক্ষ্যটো সম্পূৰ্ণৰূপে সমৰ্থন কৰিও অসমৰ ভাষা-সমস্যাৰ স্থায়ী আৰু চূড়ান্ত সমাধানৰ কাৰণে কাছাৰ জিলাক অসমৰপৰা বিচ্ছিন্ন কৰি দিয়াৰ পোষকতা কৰোঁ।

(৩)

কাছাৰ জিলাক অসমৰপৰা বিচ্ছিন্ন কৰাৰ সপক্ষে আৰু বিপক্ষে নিশ্চয় বহুতো যুক্তি থাকিব পাৰে। এটা চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতে আমি দুয়ো পক্ষৰ যুক্তি নিশ্চয় অতি গভীৰভাৱে বিবেচনা কৰি চাব লাগিব।

যিসকল লোকে কাছাৰ জিলাক অসমৰপৰা বিচ্ছিন্ন কৰাটো নিবিচাৰে – তেওঁলোকৰ প্ৰধান যুক্তি হ'ল এই কেইটা ঃ

(১) অসমক ইতিমধ্যেই খণ্ড-বিখণ্ড কৰি ইমান সৰু কৰি পেলোৱা হৈছে যে কাছাৰ জিলাকো অসমৰপৰা বাদ দিবলৈ হ'লে ই আৰু বেছি সৰু হৈ পৰিব। গতিকে অসমৰ খণ্ডিতকৰণৰ প্ৰক্ৰিয়াৰ ইমানতে অন্ত পেলাই কাছাৰ জিলাক অসমৰ সীমাৰ ভিতৰতে ৰাখিবলৈ চেষ্টা কৰাটো অধিক বাঞ্ছনীয়।

[এই যুক্তিৰ উত্তৰত আমি ক'ব খোজোঁ যে কাছাৰ অসমৰপৰা বাহিৰ হৈ গ'লেও অসমৰ জনসংখ্যা এক কোটিতকৈ বেছি হৈ ৰ'ব। আমি এক সুপ্ৰাচীন সভ্যতাৰ উত্তৰাধিকাৰী আৰু এখন বিশাল দেশৰ অধিবাসী হৈ সকলো কথাকে অতি বৃহৎ ৰূপত ভবাত ইমান অভ্যস্ত হৈ পৰিছোঁ যে দহ-বাৰ হাজাৰ বৰ্গমাইল মাটি বা চল্লিশ-পঞ্চাশ লাখ মানুহ আমাৰ চকুত অতি তাকৰীয়া যেন লাগে। কাছাৰক বাদ দিও অসমৰ জনসংখ্যা এক কোটিতকৈ বেছি হ'ব; কিন্তু পৃথিৱীৰ আধাতকৈ বেছি সাৰ্বভৌম ৰাষ্ট্ৰৰ জনসংখ্যা এক কোটিতকৈ কম। বেলজিয়ামৰ লোকসংখ্যা প্ৰায় নব্বৈ লাখ, আয়াৰলেণ্ডৰ বিয়াল্লিশ লাখ চাপন্ন হাজাৰ, পৰ্টুগালৰ নব্বৈ লাখ, চিঙ্গাপুৰৰ পঁচিশ লাখ ইত্যাদি।

দ্বিতীয়তে, নগা পাহাৰ - অৰুণাচল আদি যিবোৰ অঞ্চলৰ লগত আমাৰ যুগ যুগ ধৰি 'সাঁজি-সখী'ৰ সম্পৰ্ক আছিল সেইবোৰ অঞ্চল আমি এখন এখনকৈ পৃথক হৈ যাবলৈ এৰি দিলোঁ। এতিয়া দুস্তৰ ভৌগোলিক আৰু ততোধিক দুস্তৰ মানসিক ব্যৱধানে আঁতৰ কৰি ৰখা কাছাৰ জিলাখন অসমৰ লগত ৰাখিবৰ কাৰণেহে আমি শেষ মৰ-কামোৰটো দিম নেকি?]

(২) কাছাৰক অসমৰ লগত ৰাখিব খোজাসকলে ক'ব খোজে যে অসমীয়া সাহিত্য-সংস্কৃতিৰ পৃষ্ঠপোষক প্ৰাচীন কছাৰী ৰজাসকলৰ গৌৰৱময় স্মৃতি-বিজড়িত কাছাৰ জিলাক আমি কেতিয়াও অসমৰ বাহিৰ হৈ যাবলৈ দিব নোৱাৰোঁ। তদুপৰি কাছাৰৰ বাঙালীসকল তাত বহিৰাগতহে; সেই জিলাৰ শতকৰা নব্বৈ ভাগ লোকেই বোলে অসমৰ আদিম অধিবাসী আৰু তেওঁলোকে বাংলা ভাষা নিবিচাৰে।

[আমাৰ উত্তৰ ঃ কোচবিহাৰো আছিল অসমীয়া ভাষা-সংস্কৃতিৰ আটাইতকৈ মহিমামণ্ডিত যুগটোৰ প্ৰাণকেন্দ্ৰ। আজি কোচবিহাৰ অসমৰ ভিতৰত আছেনে? কছাৰী ৰাজবংশৰ গৌৰৱময় স্মৃতি-চিহ্নৰে ভৰপুৰ

ডিনাপুৰক আমি কিয় বিনা-প্ৰতিবাদে নগালেণ্ডত অন্তৰ্ভুক্ত কৰিবলৈ এৰি দিলোঁ? কাছাৰৰ শতকৰা নৱৈজন অধিবাসীয়েই যদি বাংলা ভাষা নিবিচাৰে তেন্তে জিলা-পৰ্য্যায়ত বাংলাক প্ৰশাসনিক ভাষাৰ মৰ্য্যাদা দিয়া হ'ল কেনেকৈ? ডিমাচা-কাছাৰীৰ নেতা শ্ৰীসোণাৰাম থাওচেনেই এতিয়া 'সংখ্যালঘু ভাষা সংৰক্ষিণী সমিতি'ৰ সম্পাদক হৈ অসমীয়া মানুহৰ বিৰুদ্ধে বিষোদগাৰ কৰি ফুৰা নাইনে?]

যিসকল লোকে কাছাৰক অসমৰপৰা বিচ্ছিন্ন কৰাটো বিচাৰে তেওঁলোকে ঘাইকৈ তলৰ যুক্তিকেইটা আগবঢ়াব খোজে —

(১) আগতে যিয়েই নাথাকক, সম্প্ৰতি কাছাৰৰ শতকৰা ৭৯ জন লোকেই বাংলাভাষী। এটা নিৰ্দিষ্ট ভৌগোলিক সীমাৰ ভিতৰত থুপ খাই থকাৰ ফলত তেওঁলোকে নিজৰ ভাষাৰ অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ সুবিধা পাইছে। একে ঠাইতে থুপ খাই থকা এই এঘাৰ লাখ বাংলা ভাষী লোকক অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ বাধ্য কৰাটো বাস্তৱ দৃষ্টিভঙ্গীৰপৰা চালে সম্ভৱ যেন নালাগে। ফলত কাছাৰ অসমৰ লগত থাকিলে নামত নহ'লেও কামত অসম দ্বি-ভাষিক ৰাজ্য হৈ ৰ'ব।

(২) কাছাৰ অসমৰ লগত থকাৰ কাৰণেই সমানুপাতিক হিচাবে অৰ্থাৎ শতকৰা হাৰত অসমত অসমীয়াভাষী লোকৰ সংখ্যা কম হৈ আছে। অসমৰ মুঠ জনসংখ্যাৰপৰা কাছাৰ জিলাৰ সোতৰ লাখ অনা-অসমীয়াভাষী লোক বাদ পৰিলে অসম উপত্যকাত অসমীয়াভাষী লোকৰ সমানুপাত বহুতখিনি বাঢ়ি যাব আৰু ফলত অসম এখন বহুভাষী ৰাজ্য বুলি কোনেও প্ৰচাৰ কৰিব নোৱাৰিব।

(৩) কাছাৰ অসমৰ লগত থকালৈকে অসম উপত্যকাৰ বাঙালীসকলে মনে-প্ৰাণে অসমীয়াৰ লগত একাত্ম হ'বলৈ নিবিচাৰিব। এইবাৰৰ ভাষা সম্পৰ্কীয় বিতৰ্কই প্ৰমাণ কৰিছে যে কাছাৰৰ বাঙালীসকলে কেৱল নিজৰ কাৰণেই বাংলা ভাষাৰ অধিকাৰ দাবী কৰা নাই; কৰা হ'লে এটা সুকীয়া বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱ তেওঁলোকে হাঁহি-মুখেৰে গ্ৰহণ কৰিলেহেঁতেন। অসম উপত্যকাৰ বাঙালীসকলকো চিৰকাল অসমীয়া ভাষা-বিৰোধী কৰি ৰখাই হ'ল কাছাৰৰ অন্যতম প্ৰধান উদ্দেশ্য। কেৱল বাঙালীসকলকে নহয়, অসম উপত্যকাৰ অন্যান্য কেইবাটাও ভাষাগোষ্ঠীৰ লোককো কাছাৰৰ বাঙালী লোকসকলে অসমীয়াৰ বিৰুদ্ধে উচতাবলৈ চেষ্টা কৰিছে আৰু সেই চেষ্টাত কিছু পৰিমাণে কৃতকাৰ্য্যও হৈছে। গতিকে কাছাৰ যিমান দিন অসমৰ লগত থাকিব, সিমান দিন ই অসমীয়া ভাষা বিৰোধী ষড়যন্ত্ৰৰ উৎস হৈ ৰ'ব। দিনে দিনে এই ষড়যন্ত্ৰ বৃদ্ধি হৈ ই এদিন অসমীয়া ভাষাৰ অস্তিত্বৰ কাৰণে এটা ডাঙৰ বিপদৰ কাৰণ হৈ উঠিব।

(৪) কাছাৰৰ অধিবাসীসকলে নিজকে কেতিয়াও অসমীয়া বা অসমবাসী বুলি নাভাবে। কাছাৰৰ এজন শীৰ্ষস্থানীয় বাঙালী নেতাই নীলাচলৰ সম্পাদকলৈ লিখা এখন ব্যক্তিগত চিঠিত দাবী কৰিছিল যে তেওঁ এজন বাংলা-ভাষী অসমীয়া। কিছুদিনৰ পিচত তেওঁ বিদেশ ভ্ৰমণলৈ গৈ কাছাৰৰপৰা প্ৰকাশিত এখন সাপ্তাহিক বাংলা বাতৰি কাকতত এটা প্ৰবন্ধ লিখিছিল। সেই প্ৰবন্ধটো তেওঁ আৰম্ভ কৰিছিল এনেদৰে : 'আজি স্বদেশৰ পৰা বহু দূৰলৈ আহি বাৰে বাৰে মোৰ মনত পৰিছে বঙ্গ জননীৰ কথা?...... কাছাৰৰ প্ৰত্যেকজন বাঙালী লোক নামত ভৌগোলিক অসমৰ অধিবাসী হ'লেও তেওঁলোকৰ মানস-পটত যাৰ মূৰ্তি খোদিত হৈ আছে সি হ'ল বঙ্গ-জননীৰ মুখ; তেওঁলোকৰ আত্মাৰ বিচৰণ-ভূমি হ'ল বৃহত্তৰ সাংস্কৃতিক বঙ্গ। গতিকে অসমৰ বাকী অংশৰ লগত তেওঁলোকৰ সম্পৰ্ক সহযোগিতাৰ নহয়, প্ৰতিদ্বন্দ্বিতাৰহে।

(৫) কাছাৰ অসমৰ লগত থকাৰ ফলত অসমৰ লাভ হোৱাৰ পৰিবৰ্তে পদে পদে লোকচানহে বেছি হৈছে। অসমৰ বাৰখন জিলাৰ ভিতৰত কাছাৰ এখন জিলা মাত্ৰ; কিন্তু এই এখন মাত্ৰ জিলাই বাকী এঘাৰখন

জিলাৰ লগত সমানে সমানে ফেৰ মাৰি সুকীয়া মেডিকেল কলেজ আৰু ইঞ্জিনীয়াৰিং কলেজ লাভ কৰিছে; ভৱিষ্যতলৈ আৰু কত কি দাবী কৰিব তাৰ ঠিক নাই। ইমানখিনি পায়ো কিন্তু অসম চৰকাৰৰ পক্ষপাতিতাৰ বিৰুদ্ধে কাছাৰৰ অভিযোগৰ অন্ত নাই। অসম উপত্যকাৰ কেইজন ল'ৰাই কাছাৰত চাকৰি বিচাৰি যাব? কিন্তু কাছাৰৰ ল'ৰাৰ কাৰণে সমগ্ৰ অসমৰ উপত্যকা পৰি আছে। অৰ্থাৎ এই ক্ষেত্ৰতো কাছাৰ অসমৰ লগত থকাত অসমৰ লোকচানৰ বাহিৰে আন একো লাভ নাই। মেঘালয় অসমৰ লগতেই চিৰকাল থাকিব বুলি আশা কৰি শেষ মুহূৰ্ত পৰ্য্যন্ত আমি চিলঙত কোটি কোটি টকা খৰচ কৰিলোঁ। কিন্তু এতিয়া আমাৰ সৰ্বস্ব তাত এৰি থৈ প্ৰায় গল-বস্ত্ৰ হৈ বিদায় ল'ব লগা অৱস্থা হৈছে। কাছাৰৰ ক্ষেত্ৰতো যেন আমি সেই ভুলৰ পুনৰাবৃত্তি নকৰোঁ।

কাছাৰক অসমৰ পৰা বিচ্ছিন্ন কৰাৰ সপক্ষে আৰু বহুতো যুক্তি দিব পাৰি। কিন্তু সদ্যহতে ইমানেই যথেষ্ট হ'ব বুলি আশা কৰোঁ। বোধগম্য কাৰণত ওপৰৰ কিছুমান যুক্তি কেৱল ইঙ্গিত হিচাবেহে দিয়া হৈছে; বুদ্ধিমান পাঠকে সেইবোৰৰ নিহিতাৰ্থ নিজে নিজেই বিচাৰি ল'ব লাগিব। আমি আন্তৰিকভাৱে বিশ্বাস কৰোঁ যে যি অৰ্থত ভাৰতৰ বেছিভাগ ৰাজ্য এক-ভাষী ৰাজ্য — সেই অৰ্থত অসমকো এক-ভাষী কৰিবলৈ হ'লে কাছাৰ জিলাক অসমৰ পৰা বিচ্ছিন্ন কৰি দিয়া একান্তই প্ৰয়োজন। তেতিয়াহে অসমৰ ভাষা-সমস্যাৰ এটা স্থায়ী আৰু চূড়ান্ত সমাধান হ'ব পাৰে। ত্ৰিশৰ দশকত পণ্ডিত নেহৰুৱে কংগ্ৰেছ সভাপতি ৰূপে অসম ভ্ৰমণলৈ আহি ভাষাগত কাৰণত শ্ৰীহট্ট জিলাখন অসমৰপৰা বিচ্ছিন্ন কৰি দিয়াৰ পোষকতা কৰিছিল। অসমীয়া মানুহেও ঠিক তাকেই বিচাৰিছিল। ঠিক সেই একেটা যুক্তিতে এতিয়াও কাছাৰ জিলাক অসমৰপৰা পৃথক কৰি দিয়াৰ প্ৰয়োজন আছে। আমি আশা কৰোঁ যে ছাত্ৰ-সমাজে অসমীয়া ভাষাৰ ন্যায্য অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে সংগ্ৰাম কৰোঁতে আমাৰ এই কথাখিনিও বিবেচনা কৰি চাব।

(৪)

যোৱা শতিকাত বাংলা ভাষাই যেতিয়া 'চিৰ-চেনেহী অসমীয়া ভাষা-জননী'ক গ্ৰাস কৰি নিশ্চিহ্ন কৰিবলৈ উদ্যত হৈছিল, সেই সময়ত অসমীয়া ভাষাক উদ্ধাৰ কৰি পুনৰ সন্মানৰ আসনত প্ৰতিষ্ঠিত কৰাত আগভাগ লৈছিল কলিকতা-প্ৰবাসী কেইজনমান কলেজীয়া ছাত্ৰই। সেই তেতিয়াৰপৰা অসমীয়া ভাষাৰ প্ৰত্যেকটো সংকটৰ মুহূৰ্তত ত্ৰাণকৰ্তা ৰূপে আগবাঢ়ি ওলাই আহিছে অসমীয়া ছাত্ৰ-সমাজ; অবিৰাম সতৰ্কতা আৰু সংগ্ৰামৰ দ্বাৰা তেওঁলোকে অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত এটা গৌৰৱময় পৰম্পৰা সৃষ্টি কৰিছে। যোৱা এমাহ ধৰি চলা ভাষা-আন্দোলনটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ নেতৃত্বত অসমৰ ছাত্ৰ-সমাজে যি অতুলনীয় ভাষা-প্ৰেম, আদৰ্শবাদিতা আৰু বিচক্ষণতাৰ পৰিচয় দিছে সি নিশ্চয় সৰ্বোচ্চ প্ৰশংসাৰ যোগ্য। ১৯৬০ চনৰ ভাষা-আন্দোলনত হোৱাৰ দৰেই এইবাৰো ইতিমধ্যে দুজন ছাত্ৰ মাতৃ-ভাষাৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামত শ্বহীদ হৈছে। টমাচ্ জেফাৰ্চনে কৈছিল : The tree of liberty must be refreshed from time to time with the blood of patriots and tyrants. It is its natural manure. কেৱল liberty নহয়, অন্যান্য বহুতো মানবীয় প্ৰমূল্য আৰু সাংস্কৃতিক সম্পদবোৰৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। আমাৰ দৃঢ় বিশ্বাস যে অনিল বৰা আৰু মোজাম্মিল হকৰ ৰক্তাঞ্জলিয়ে অসমীয়া ভাষা-সাহিত্যৰ জীৱনী-শক্তি সহস্ৰ গুণে বঢ়াই তুলিব।

মাতৃ-ভাষাৰ আত্ম-প্ৰতিষ্ঠাৰ কাৰণে শান্তিপূৰ্ণ আৰু সু-পৰিকল্পিতভাৱে আন্দোলন চলোৱাত আমি ছাত্ৰ-সমাজক অভিনন্দন জনাইছোঁ। যিসকল দেশ-দ্ৰোহী লোকে বৰ্তমানৰ পৰিস্থিতিৰ সুযোগ লৈ অশান্তিৰ সৃষ্টি কৰি ছাত্ৰ-আন্দোলনক বিকৃত ৰূপত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছে তেওঁলোকৰ স্বৰূপ উন্মোচিত কৰি দিয়াটো

সকলো শুভবুদ্ধিসম্পন্ন মানুহৰে অপৰিহাৰ্য্য কৰ্তব্য। কিন্তু ছাত্ৰ-সমাজলৈকো আমাৰ এটা নিবেদন আছে। সচৰাচৰ এনেবোৰ আন্দোলনত দেখা যায় যে প্ৰাথমিক কৃতকাৰ্য্যতাই প্ৰয়োজনাতীত আত্ম-বিশ্বাসৰ ভাব আনি দি অনেক সময়ত যুক্তিতকৈ আবেগক প্ৰবল কৰি দিয়ে আৰু দূৰ-দৃষ্টি আবিল কৰি তোলে। অসমখন যে সম্পূৰ্ণৰূপে এখন এক-ভাষী ৰাজ্য হ'ব লাগিব আৰু অসমীয়া ভাষা চিৰকালৰ কাৰণে সুদৃঢ় আৰু অপ্ৰতিদ্বন্দ্বী ভেটিত প্ৰতিষ্ঠিত হ'ব লাগিব — সেই সম্পৰ্কে সমগ্ৰ অসমীয়া ৰাইজ আৰু তেওঁলোকৰ শুভাকাংক্ষীসকল সম্পূৰ্ণ একমত। কেন্দ্ৰীয় নেতাসকলেও সম্প্ৰতি এই মতকে দৃঢ়ভাবে সমৰ্থন কৰে বুলি আমি বিভিন্ন সূত্ৰৰপৰা জানিব পাৰিছোঁ। এনে অৱস্থাত ছাত্ৰসমাজে কোনো হ্ৰস্বম্যাদী সমাধানৰ কথা চিন্তা নকৰি যুক্তি আৰু দূৰ-দৃষ্টি সহকাৰে এই সমস্যাৰ এটা স্থায়ী আৰু চূড়ান্ত সমাধানৰ কাৰণে চিন্তা কৰিব বুলি আমি আশা কৰিলোঁ। তাকে কৰিবলৈ যাওঁতে গণতান্ত্ৰিক প্ৰমূল্য আৰু অনুষ্ঠানসমূহৰ যাতে কোনো ক্ষতিসাধন নহয়, তাৰ প্ৰতিও ছাত্ৰ-সমাজে নিশ্চয় চিৰ-সজাগ দৃষ্টি ৰাখিব লাগিব।

সামৰণিত যোৱা এমাহ ধৰি অসম চৰকাৰৰ কাৰ্য্য-পদ্ধতি আৰু ৰাজনৈতিক নেতৃত্বৰ ভূমিকাৰ বিষয়ে এষাৰ কথা নক'লে আমাক নিশ্চয় উচিত সময়ত কথা নোকোৱাৰ দোষে স্পৰ্শ কৰিব। যোৱা এমাহ ধৰি অসম চৰকাৰ আৰু ৰাজনৈতিক নেতৃত্বৰ যি নৈতিক দুৰ্বলতা উন্মোচিত হৈ পৰিছে তাৰ কোনো তুলনা নাই। যি সময়ত ৰাইজৰ নেতাসকল ৰাইজৰ মাজত থকাৰ আটাইতকৈ বেছিকৈ প্ৰয়োজন হৈছিল — সেই সময়ত তেওঁলোকৰ বেছিভাগেই আছিল নিৰাপদ আশ্ৰয়ত আত্মগোপন কৰি। যি সময়ত তেওঁলোকে দেখুওৱা উচিত আছিল নৈতিক সাহস আৰু সবল নেতৃত্ব, সেই সময়ত তেওঁলোকে দেখুৱাইছিল অক্ষমনীয় মেৰুদণ্ডহীনতা। সময়ত মানুহে এইবোৰ কথা নিশ্চয় স্মৰণ কৰিব।

ৰাজ্যত চৰাদামৰ পৰিস্থিতি অব্যাহত আছে

অসমত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি পাই আছে আৰু সামগ্ৰিকভাবে ৰাজ্যখনলৈ শান্তি আৰু স্বাভাৱিক জীৱন-যাত্ৰা ঘূৰি আহিছে যদিও এচাম ব্যৱসায়ীয়ে বাহিৰৰপৰা ৰাজ্যখনলৈ বয়-বস্তু আহিব পৰা নাই বুলি অজুহাত দেখুৱাই অসামাজিক ব্যৱসায়িক সুযোগ-সুবিধা গ্ৰহণ কৰি আছে।

শিক্ষাৰ মাধ্যম সম্পৰ্কীয় আন্দোলনৰ সময়ত প্ৰায় ডেৰ মাহ কাল ৰেলপথ আৰু স্থলপথেৰে অসমলৈ সামগ্ৰী অহাৰ গতি মন্থৰ হৈছিল। বহুতে এই সুযোগতে আমদানি বন্ধ কৰি কৃত্ৰিম অনাটন ঘটাবলৈ চেষ্টা কৰি যথেষ্ট সফল হৈছিল। তদুপৰি, অসমৰ বিভিন্ন ঠাইত জিলা আৰু স্থানীয় প্ৰশাসনে চৰকাৰী কামত অন্যান্য যান-বাহনৰ লগতে ট্ৰাক আদিও জব্দ কৰাত ট্ৰাকযোগে সামগ্ৰীৰ সৰবৰাহত কিছু বাধা পৰিছিল। এচাম ব্যৱসায়ীয়ে ৰেলযোগে অহা সামগ্ৰী সময়মতে খালাছ নকৰি অনাটন আৰু চৰাদামৰ সৃষ্টি কৰিছিল। ৰাজ্যৰ প্ৰশাসন যন্ত্ৰ আইন আৰু শৃংখলা ৰক্ষাৰ কামতে প্ৰধানকৈ লিপ্ত থকাত ইয়াৰ সুযোগ গ্ৰহণ কৰি এচাম ব্যৱসায়ীয়ে ৰাইজক অসুবিধাত পেলাইছিল। ন্যস্ত স্বাৰ্থৰ হাতৰ পুতলা এচাম চৰকাৰী বিষয়া আৰু কৰ্মচাৰীয়েও নিৰ্বিকাৰে পৰিস্থিতি জটিল হোৱাত সহায় কৰি গৈছিল। ৰাজনৈতিক মহলত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতি সাধাৰণ সজাগতাখিনিৰো অভাৱ দেখা গৈছিল। দৰাচলতে ৰাজ্যত প্ৰথমবাৰৰ বাবে শাসকীয় কংগ্ৰেছ দল আৰু কমিউনিষ্ট পাৰ্টিয়ে লগ লাগি মূল্য বৃদ্ধিৰ প্ৰতিবাদত অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত আন্দোলন আৰম্ভ কৰোঁতেই সৰ্বগ্ৰাসী মাধ্যম আন্দোলনটো আহি পৰাত লাভখোৰ ব্যৱসায়ী মহলে অবাধ সুযোগ-সুবিধা আদায় কৰি গৈছিল।

এনে অৱস্থাত অসমৰ মূল্য পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈছিল। পৰিতাপৰ কথা যে স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পিচতো পৰিস্থিতিৰ বিশেষ একো পৰিবৰ্তন ঘটা নাই।

থল আছে

মূল্য পৰিস্থিতি উন্নত কৰাৰ বাবে সকলো প্ৰয়োজনীয় থল সম্প্ৰতি মুকলি হৈছে। বজাৰত নতুন চাউল, শাক-পাচলি যথেষ্ট পৰিমাণে দেখা গৈছে, কিন্তু মূল্যৰ বিশেষ তাৰতম্য ঘটা নাই। নতুন আলু বজাৰত আগৰ দৰে ওলোৱা নাই। খুব সম্ভৱ ব্যৱসায়িক বিবেচনাতে নতুন আলুৰ সৰবৰাহ মন্থৰ কৰি ৰখা হৈছে। বিবিধ দাইল আৰু মাহৰ মূল্য বৃদ্ধি পাইছে। চেনিৰ মূল্য অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত মুকলি বজাৰত কিছু কমিছিল যদিও ইয়াৰ পিচৰেপৰা ইয়াৰ মূল্য বাৰুকৈয়ে বৃদ্ধি পাইছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে চেনি আৰু বজাৰত ঘিউৰ মূল্য বৃদ্ধি কৰিবলৈ দিয়াত ব্যৱসায়ীয়ে ইয়াৰ সুযোগ পূৰ্ণমাত্ৰাই গ্ৰহণ কৰিছে। শিশুৰ খাদ্য-জাতীয় সামগ্ৰী বজাৰত আছে যদিও মূল্য কমা নাই আৰু ঠাই আৰু সময় বিশেষে বাঢ়িছেহে। বজাৰত গৰম কাপোৰ আগৰ দৰে ওলোৱা নাই; স্বাভাৱিকতে এইবিধ কাপোৰৰ মূল্য যোৱা বাৰৰ তুলনাত ভালেমান বেছি। উলৰ মূল্যও বজাৰত যোৱাবাৰতকৈ বেছি।

ৰাজ্য চৰকাৰে ভাৰতীয় খাদ্য নিগমৰ আঞ্চলিক সংগঠনযোগে কেইপদমান অপৰিহাৰ্য্য খাদ্য-সামগ্ৰীৰ ব্যৱসায় আৰম্ভ কৰিবলৈ লোৱা সিদ্ধান্ত সময়োপযোগী হৈছে বুলি বিভিন্ন মহলৰ ৰাইজে ভাবে।

খাদ্য-সামগ্ৰীৰ পাইকাৰী ব্যৱসায় চৰকাৰৰ হাতলৈ আনিবলৈ ইতিমধ্যেই সৰ্বভাৰতীয় পৰ্য্যায়ত যি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে, অসম চৰকাৰেও সেই সিদ্ধান্তৰ প্ৰতি সম্মতি জনাইছে যেতিয়া অতি সোনকালে ৰাজ্যিক পৰ্য্যায়ত উপযুক্ত প্ৰশাসনীয় সংগঠন গঢ়ি তুলি এই কামত অগ্ৰসৰ হ'ব বুলি ৰাইজে আশা কৰে। ৰাইজে এই আশাও কৰিছে যে পূৰ্ণ উদ্যমেৰে ৰাজ্যিক প্ৰশাসনে ৰবিশস্যৰ আঁচনি কৃতকাৰ্য্য কৰি তোলাত আগভাগ ল'ব।

নতুন দৃষ্টান্ত

ৰাজ্যখনত কেৰাচিন আৰু পেট্ৰলৰ ব্যক্তিগত ব্যৱসায় ব্যৱস্থা উঠাই দি চৰকাৰে সেই ব্যৱসায় সোনকালেই নিজৰ হাতলৈ আনিবলৈ বিচাৰিছে বুলি কিছু দিনৰ আগতে প্ৰকাশ পাইছিল। মুখ্যমন্ত্ৰীৰ এই উদ্যোগ অতি প্ৰশংসনীয়; এই আঁচনি কাৰ্য্যকৰী হ'লে দেশৰ ভিতৰতে ই এটা নতুন দৃষ্টান্ত হ'ব। মুখ্যমন্ত্ৰীয়ে ক্ষিপ্ৰতাৰে এই আঁচনি কাৰ্য্যকৰী কৰিব বুলি ৰাইজে আশা কৰে। কেৰাচিন আৰু পেট্ৰলৰ ব্যক্তিগত ব্যৱসায় এচাম ব্যৱসায়ীৰ একচেটিয়া ব্যৱসায়লৈ পৰিণত হৈছে আৰু এইচাম ব্যৱসায়ীয়ে ইয়াৰ অন্তৰালত ন্যস্ত স্বাৰ্থক জীয়াই ৰাখিছে। অসম চৰকাৰে এই ন্যস্ত স্বাৰ্থ ভাঙিব পাৰিলে সকলোৰে ধন্যবাদৰ পাত্ৰ হ'ব।

বাংলাদেশ হৈ অসম আৰু পশ্চিমবংগৰ মাজত নদী-পথৰ সংযোগ পুনৰ স্থাপিত হোৱাৰ পিচত এই সস্তীয়া পৰিবহণযোগে অসমৰ সৰবৰাহ পৰিস্থিতিৰ ক্ষিপ্ৰ পৰিবৰ্তন সম্ভৱপৰ হ'ব। ফলত ই মূল্যবৃদ্ধিত বাধাদান কৰাত আৰু মূল্যমান সুস্থিৰ কৰি ৰখাত সাহায্য কৰিব। ৰাজ্য চৰকাৰে বিশেষ উদ্যমেৰে এই জলপৰিবহণ ব্যৱস্থাৰ সম্পূৰ্ণ সদব্যৱহাৰ সম্ভৱপৰ কৰি তুলিব বুলি ৰাইজে আশা কৰে।

এটা ৰাষ্ট্ৰীয়কৃত বেঙ্কৰপৰা খাদ্য-সামগ্ৰীৰ পাইকাৰী ব্যৱসায়ৰ বাবে ৰাজ্য চৰকাৰক দহ কোটি টকা দিবলৈ বিচৰা হৈছিল, কিন্তু ৰাজ্য চৰকাৰে এই সুযোগ গ্ৰহণ কৰিব পৰা নাই বুলি আগতেই বাতৰি প্ৰকাশ পাইছে। অনতিপলমে চৰকাৰে এই সুযোগ গ্ৰহণ কৰিব বুলি ৰাইজে আশা কৰে।

সাপ্তাহিক নীলাচল, ২০৫ সংখ্যা : ৮ নবেম্বৰ, ১৯৭২

নেপথ্য-কাহিনী

Opinion is free, but facts are sacred.

– G.P. Scott (Manchester Guardian, 6 May 1926)

গুৱাহাটীৰ কংগ্রেছ ভৱনত ৪ নৱেম্বৰৰ দিনা বিধান সভা আৰু পার্লিয়ামেণ্টৰ কংগ্রেছী সদস্যসকলৰ এখন যুটীয়া অধিবেশন বহে। সাম্প্রতিক ভাষা-সমস্যাক কেন্দ্র কৰি গঢ়ি উঠা অচলাবস্থাৰ এটা সমাধান বিচাৰি উলিওৱাই আছিল এই অধিবেশনৰ উদ্দেশ্য। এই অধিবেশনত ৬১ জন কংগ্রেছী এম-এল-এ আৰু তিনিজন এম-পি উপস্থিত আছিল। অধিবেশন বহিবৰ সময়ত সমগ্র অসমজুৰি অভূতপূর্ব উৎসাহ-উদ্দীপনাৰ মাজত ব্যাপক অনশন ধর্মঘট চলি আছিল; সমুখত আছিল ছয় নবেম্বৰপৰা আৰম্ভ হ'ব লগা গণ-সত্যাগ্রহৰ সুনিশ্চিত সম্ভাৱনা। আন্দোলনৰ দাবী আছিল এয়েই যে অবিলম্বে বিধান সভাৰ অধিবেশন আহ্বান কৰি আনুষ্ঠানিকভাৱে ২৩ চেপ্টেম্বৰৰ প্রস্তাবটো প্রত্যাহাৰ কৰিব লাগে। এনে এটা পটভূমিত অনুষ্ঠিত হোৱা এই বিশেষ অধিৱেশনখনে স্বাভাবিকভাৱে সমগ্র ৰাজ্যখনৰ জনসাধাৰণৰ উৎকণ্ঠিত মনোযোগ আকর্ষণ কৰিছিল। অধিবেশনে গ্রহণ কৰা সিদ্ধান্ত ইতিমধ্যেই সকলোৱে জানিবলৈ পাইছে; কিন্তু নেপথ্যত ঘটা বহুতো ঘটনাৰ কথা এতিয়াও নিশ্চয় শ্রুতিগোচৰ হোৱা নাই। আমি ভাবো যে অসমৰ সাম্প্রতিক ৰাজনীতিৰ ধাৰা শুদ্ধভাৱে অনুধাবন কৰিবলৈ হ'লে ৰাইজেও এইবোৰ কথা জনা উচিত। তদুপৰি লর্ড এক্টনৰ দৰেই আমিও বিশ্বাস কৰোঁ যে Everything secret degenerates; nothing is safe that does not show it can bear discussion and publicity.

অধিবেশনত কি ঘটিছিল সেই কথা আলোচনা কৰাৰ আগতে আগৰ কিছু কথা উল্লেখ কৰি ল'ব লাগিব। আন্দোলনে সংকটজনক ৰূপ ধাৰণ কৰাৰ কেইদিনমানৰ পিচতেই অসমলৈ কেন্দ্রীয় খাদ্য মন্ত্রী শ্রীফখৰুদ্দিন আলি আহমদ আহিল। তেওঁ ঘূৰি যোৱাৰ কিছুদিনৰ পিছতেই আহিল গৃহ দপ্তৰৰ ৰাজ্য মন্ত্রী শ্রীৰামনিবাস মির্ধা, লগত গৃহসচিব শ্রীগোবিন্দ নাৰায়ণ। এওঁলোকৰ আগমণে প্রমাণ কৰিলে যে অসমৰ সমস্যা সম্পর্কে কেন্দ্রীয় নেতৃবর্গ অতিশয় চিন্তিত হৈ পৰিছে। যিহওক ২৬ অক্টোবৰ তাৰিখে উচ্চতম ন্যায়ালয়ৰ ৰায় প্রকাশ হ'ল আৰু তাৰ গয়না লৈ মুখ্যমন্ত্রী শ্রীশৰৎ চন্দ্র সিংহই তেওঁৰ অধুনা বিখ্যাত ২৯ অক্টোবৰৰ অনার্তাৰ ভাষণটো প্রচাৰ কৰিলে। তাৰ পিচদিনাই অর্থাৎ ৩০ অক্টোবৰ তাৰিখে মুখ্যমন্ত্রীয়ে দিল্লীলৈ ৰাওনা কৰিলে। দিল্লীৰপৰা তেওঁ এই ইঙ্গিত লৈ ঘূৰি আহিল যে কেন্দ্রীয় নেতৃবর্গই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১২ জুনৰ প্রস্তাব কার্য্যকৰী কৰাটোকে দৃঢ়ভাৱে সমর্থন কৰে; কিন্তু ২৩ চেপ্টেম্বৰৰ প্রস্তাৱ আনুষ্ঠানিকভাৱে প্রত্যাহাৰ কৰিবলৈ বিধান সভাৰ বিশেষ অধিৱেশন আহ্বান কৰাটো উচিত বুলি নাভাৱে। মুখ্যমন্ত্রীয়েও ঠিক তাকেই বিচাৰিছিল। গতিকে তেওঁ হর্ষোৎফুল্ল মনেৰে অসমলৈ প্রত্যাবর্তন কৰিলে।

কিন্তু মুখ্যমন্ত্রীয়ে তেতিয়া বোধহয় ভাবিবই পৰা নাছিল যে তেওঁৰ পিচে পিচে অসমলৈ দৌৰি আহিব কংগ্রেছ সভাপতি ডঃ শঙ্কৰ দয়াল শর্মা, সাধাৰণ সম্পাদক শ্রীচন্দ্রজিৎ যাদৱ আৰু ৰাজ্যমন্ত্রী শ্রীওম মেহটা। তেওঁ হয়তো ভাবিছিল যে অসমত কেন্দ্রীয় নেতৃবর্গৰ হস্তক্ষেপ ইমানতে শেষ হৈছে, ইয়াৰ পিচত কি কৰিব

লাগে তেওঁ অকলেই কৰিব। কেন্দ্ৰীয় নেতা তিনিজন যে অসমলৈ আহিব সেই কথা তেওঁলোক কলিকতা আহি পোৱাৰ পিচতহে টেলিফোন যোগে মুখ্যমন্ত্ৰীক জনোৱা হ'ল। স্পষ্টভাৱেই প্ৰমাণিত হয় যে অসমৰ বৰ্তমান পৰিস্থিতিত কেৱল মুখ্যমন্ত্ৰীৰ বিচাৰ-বুদ্ধিৰ ওপৰতে কেন্দ্ৰই নিৰ্ভৰ কৰিব পৰা নাই।

অসমলৈ অহা কেন্দ্ৰীয় নেতা তিনিজনৰ ভিতৰত শ্ৰীওম মেহেতাৰ অন্তৰ্ভুক্তি বিশেষভাৱে তাৎপৰ্য্যপূৰ্ণ। তেওঁ কংগ্ৰেছ সংগঠনৰ কোনো বিষয়-ববীয়া নহয়, গৃহ-দপ্তৰৰ মন্ত্ৰীও নহয়; সাম্প্ৰতিক পৰিস্থিতিত অসমৰ লগত পোনপটীয়াভাৱে তেওঁ কৰিবলগীয়া কাম একো নাই। তদুপৰি জনা লোকে এই কথাও জানে যে বৰ্তমানৰ তদৰ্থ প্ৰদেশ কংগ্ৰেছ আৰু জিলা কংগ্ৰেছবোৰ যিভাৱে গঠন কৰা হ'ল সেই সম্পৰ্কে তেওঁৰ মনোভাৱ যথেষ্ট সমালোচনামূলক। গতিকে এই কথা নিশ্চিতভাৱে ধৰি ল'ব পাৰি যে প্ৰধান মন্ত্ৰীয়ে বিভিন্ন লোকৰ বিভিন্ন ভিতৰ চ'ৰা সম্পৰ্কে বুজ ল'ব খোজে। শ্ৰীমেহটাৰ প্ৰতিবেদনে অসম কংগ্ৰেছৰ আন এটা দিশ সম্পৰ্কে নিশ্চয় কেন্দ্ৰীয় নেতৃবৰ্গৰ চকু মুকলি কৰিব।

যিহওক, ডাঃ শৰ্মা আৰু শ্ৰীমেহটা শিলচৰ হৈ দিল্লীলৈ ঘূৰি যোৱাৰ পিচত শ্ৰীযাদৱ গুৱাহাটীত ৰৈ গ'ল। ইতিমধ্যে এই সিদ্ধান্ত লোৱা হৈ গৈছে যে ৪ নৱেম্বৰত কংগ্ৰেছী এম-এল-এ আৰু এম-পিসকলৰ যুটীয়া অধিবেশন আহ্বান কৰা হ'ব। ঠিক হ'ল যে শ্ৰীযাদৱ বিশেষ অতিথি বা পৰ্য্যবেক্ষকৰূপে এই অধিবেশনত উপস্থিত থাকিব। ৪ নৱেম্বৰৰ বৈঠকত শ্ৰীযাদৱৰ উপস্থিতি বিশেষ তাৎপৰ্য্যপূৰ্ণ। উক্ত বৈঠক বহাৰ আগ দিনাৰপৰাই শ্ৰীযাদৱে বছা বছা কেইজনমান এম-এল-এক চাৰ্কিট হাউচলৈ মতাই নি প্ৰস্তাৱিত অধিবেশনত তেওঁলোকে কিভাৱে আচৰণ কৰা উচিত সেই বিষয়ে পৰামৰ্শ দিছিল। তেওঁৰ পৰামৰ্শ আছিল এয়েই যে শ্ৰীসিংহৰ চৰকাৰে হয়তো বহুতো ভুল-ভ্ৰান্তি কৰিছে, কিন্তু সেইবোৰৰ সমালোচনা কৰাৰ সময় এতিয়া নহয়; এতিয়া সকলো কংগ্ৰেছী সদস্যই শ্ৰীসিংহৰ পিচত থিয় হৈ তেওঁক এই সংকট অতিক্ৰম কৰাত সহায় কৰিব লাগে, আৰু বিধান সভাৰ অধিবেশন বহুৱাব লাগে বুলি কোনেও জোৰ কৰিব নালাগে। চাৰ্কিট হাউচত শ্ৰীযাদৱক লগ পোৱা এজন কংগ্ৰেছী সদস্যই তেওঁক প্ৰশ্ন কৰিছিল – 'যাদৱজী, আপুনিতো আমাক এটা পেইন-কিলাৰ টেবলেট গিলাব খুজিছে? কিন্তু তাৰ দ্বাৰা প্ৰকৃত বেমাৰ আৰোগ্য হ'ব জানো? দ্বিতীয়তে আপোনাৰ হিন্দী চিনেমাৰ এটা গানৰ ভাষাৰে এটা প্ৰশ্ন কৰিব খোজোঁ : 'কব হুৱা, ক্যৈসে হুৱা, কিয়োঁ হুৱা?...অসম কংগ্ৰেছ সম্পৰ্কে এই তিনিটা প্ৰশ্নৰ উত্তৰ নোপোৱালৈকে আপুনি অসম কংগ্ৰেছ নিৰাময় কৰিব পাৰিব জানো?'

শ্ৰীযাদৱে হাঁহি হাঁহি উত্তৰ দিছিল – 'এইবোৰ প্ৰশ্নৰ উত্তৰ আমি নিশ্চয় বিচাৰিম, অতি সোনকালেই বিচাৰিম, কিন্তু তাৰ আগতে বৰ্তমানৰ সংকটটো পাৰ হৈ যাবলৈ দিয়ক।'

৪ নৱেম্বৰৰ অধিবেশনত শ্ৰীযাদৱৰ উপস্থিতিৰ পৰিণাম হ'ল এয়েই যে কোনো সদস্যই মুকলিভাৱে কোনো প্ৰশ্ন তুলিবলৈ সাহ নকৰিলে। সকলোৰে অন্তৰত মনে মনে আছিল কেৱল এটাই চিন্তা : Big brother is watching you (Orwell)। আগদিনা ৰাতি বিভিন্ন ঠাইৰপৰা আহি পোৱা এম-এল-এসকলৰ কোনো কোনোৱে নিজে একো কৰ্মপন্থা ঠিক কৰিব নোৱাৰি সৰু সৰু দল বান্ধি দুই-এজন নেতৃস্থানীয় লোকৰ ওচৰলৈ পৰামৰ্শ বিচাৰি গৈছিল। এই নেতৃস্থানীয় লোক কেইজনেও এম-এল-এসকলক পৰামৰ্শ দিছিল : 'শ্ৰীসিংহৰ চৰকাৰক সমালোচনা কৰাৰ সময় আৰু ঠাই এতিয়া নহয়; যুক্তি আৰু সত্যৰ খাতিৰত তোমালোকে কিবা ভাল কথা ক'লেও যাদৱে তোমালোকৰ বিষয়ে দিল্লীত কি কয়গৈ তাৰ ঠিক নাই। হয়তো তেওঁ এনেকৈয়ে কৈ দিবগৈ যে এই কেইজন লোকেই শৰৎ সিংহক খেদিবৰ মনেৰে ভাবা-

আন্দোলনত উচটনি দিছে। গতিকে যাদৱৰ উপস্থিতিত মুখ মেলি নিজৰ ডিঙিত নিজে ফাঁচ নলগাবা।'

মুঠতে শ্ৰীযাদৱৰ উপস্থিতিৰ উদ্দেশ্য সিদ্ধ হ'ল। তেওঁ সেইদিনা উপস্থিত নথকা হ'লে অধিবেশনৰ তৰ্ক-বিতৰ্কই কি ৰূপ ল'লেহেঁতেন কোৱা টান। খুব সম্ভৱ সি শ্ৰীসিংহৰ নিয়ন্ত্ৰণাধীন হৈ নাথাকিলহেঁতেন। অভিভাৱকৰ সমুখত সৰু ল'ৰাই নীৰবে আৰু শান্তভাৱে নিজৰ পাঠ আওৰোৱাৰ দৰে শ্ৰীযাদৱৰ উপস্থিতিত সকলো সদস্যই নীৰবে পূৰ্ব-নিৰ্ধাৰিত প্ৰস্তাৱত সন্মতি দিলে। চাৰিজন সদস্যই (তাৰ ভিতৰত এজন মন্ত্ৰীও আছিল) এটা ক্ষীণ প্ৰতিবাদ কৰি চাইছিল, কিন্তু বাকী আন সকলো সদস্যৰ নীৰৱ সন্মতিৰ দেৱালত ঠেকা খাই তেওঁলোকৰ ঠুনুকা প্ৰতিবাদ ভাগি চূৰ্ণীকৃত হৈ গ'ল।

অধিবেশনে প্ৰস্তাৱ ল'লে যে উপস্থিত সকলো সদস্যই মুখ্যমন্ত্ৰীৰ ২৯ অক্টোবৰৰ অনাতাঁৰ ভাষণৰ বক্তব্যখিনি সমৰ্থন কৰে আৰু সেই সিদ্ধান্ত কাৰ্য্যকৰী কৰিবলৈ মুখ্যমন্ত্ৰীক সম্পূৰ্ণ কৰ্তৃত্ব দিয়ে।

অধিবেশনৰ এই সিদ্ধান্তৰ কথা ৰাজহুৱাভাৱে প্ৰকাশ কৰা হৈ গৈছে। কিন্তু যি কেইটা কথা প্ৰকাশ হোৱা নাই— সেই কেইটা কথাৰ ৰাজনৈতিক গুৰুত্ব আৰু তাৎপৰ্য্য অধিক সুদূৰপ্ৰসাৰী। সভাৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী শ্ৰীসিংহই এটা বক্তৃতা দিছিল। সেই বক্তৃতাত শ্ৰীসিংহই বোলে এই বুলি কৈছিল যে যোৱা এমাহৰ ঘটনাৱলীত তেওঁৰ চৰকাৰে হয়তো বহুতো ভুল-ত্ৰুটি কৰিছে, আৰু সেইবোৰৰ সমালোচনা কৰিবলৈ সদস্যসকলে নিশ্চয় ভৱিষ্যতে বহুতো সুযোগ পাব। তাৰ লগতে তেওঁ এই বুলিও যোগ দিলে যে প্ৰয়োজন হ'লে বা দলৰ সদস্যসকলে ইচ্ছা কৰিলে তেওঁ পদত্যাগ কৰিবও পাৰে, কিন্তু তাকে কৰিবলৈ হ'লে তেওঁ বিধান সভাখন ভঙ্গ কৰি দিবলৈকো ৰাজ্যপালক পৰামৰ্শ দিব লগা হ'ব পাৰে। বহুতো সদস্যই মুখ্যমন্ত্ৰীৰ এই উক্তিক এটা প্ৰচ্ছন্ন ভাবুকি বুলি গণ্য কৰিছে। সদস্যসকলে ভাবে যে অসমত এতিয়া বা ছমাহৰ পিছত নতুন নিৰ্বাচন হ'বলৈ হ'লে বৰ্তমানৰ ৯৫ জন সদস্যৰ ঠাইত তাৰ আধা কংগ্ৰেছী সদস্যও নিৰ্বাচিত হোৱাৰ সম্ভাৱনা নাই; মুখ্যমন্ত্ৰীয়েও সেই কথা নজনা নহয়। তেনে অৱস্থাত মুখ্যমন্ত্ৰীয়ে নিজে পদত্যাগ কৰিব লগা হ'লেই বিধান সভাখনো ভাঙি দিম বুলি ভাবুকি দেখুৱাই দলৰ বা ৰাজ্যখনৰ মঙ্গল-চিন্তা কৰা নাই বুলি এই সদস্যসকলে ভাবে। তদুপৰি সভাৰ আৰম্ভণিতেই মুখ্যমন্ত্ৰীয়ে এই উক্তি কৰি মুকলি আলোচনাৰ বাট সমূলি বন্ধ কৰি দিলে।

শ্ৰীচন্দ্ৰজিৎ যাদৱে তেওঁৰ বক্তৃতা প্ৰসঙ্গত উল্লেখ কৰা এটা কথাই বহুতো সদস্যক আমোদৰ খোৰাক যোগাইছে, লগতে অৱশ্যে চিন্তাৰো খোৰাক যোগাইছে। তেওঁৰ মতে অসমত বৰ্তমানৰ পৰিস্থিতিয়ে সংকটজনক ৰূপ ধাৰণ কৰাৰ এটা অন্যতম প্ৰধান কাৰণ হ'ল কংগ্ৰেছৰ সাংগঠনিক দুৰ্বলতা; অৰ্থাৎ বৰ্তমানৰ পৰিস্থিতিত প্ৰদেশ কংগ্ৰেছে আশানুৰূপভাৱে নিজৰ ভূমিকা পালন কৰিব পৰা নাই। এই কথা ক'বৰ সময়ত ভদ্ৰলোকে বোধহয় পাহৰি গৈছিল যে অসম কংগ্ৰেছৰ বৰ্তমানৰ শোচনীয় নিষ্ক্ৰিয়তা, নিবীৰ্য্যতা, অন্তৰ্দ্বন্দ্বৰ কাৰণে যদি কোনোবা এজন মাত্ৰ মানুহ দায়ী, তেন্তে সেইজন হ'ল শ্ৰীচন্দ্ৰজিৎ যাদৱ। শ্ৰীচন্দ্ৰজিৎ যাদৱেই সন্দেহজনক বুদ্ধি-বৃত্তিৰ কোনো কোনো মানুহৰ পৰামৰ্শ গ্ৰহণ কৰি তদৰ্থ প্ৰদেশ আৰু জিলা কংগ্ৰেছবোৰ এনেভাৱে গঠন কৰিছিল যে অসমত কংগ্ৰেছক জীয়াই জীয়াই কবৰ/দিয়াৰ নিচিনা অৱস্থা হৈছে। আজি অৱস্থাৰ গতি-গোত্ৰ দেখি তেওঁ নিজৰ সুৰ সলাবলৈ বাধ্য হৈছে আৰু অসম কংগ্ৰেছৰ সাংগঠনিক দুৰ্বলতাৰ কথা নিজমুখে স্বীকাৰ কৰিছে। কিন্তু আমি ভাবোঁ যে অসম কংগ্ৰেছৰ ৰাজনৈতিক বাতাৱৰণ নিৰ্মল কৰিবলৈ হ'লে হাই কমাণ্ডে অসম কংগ্ৰেছত শ্ৰীযাদৱৰ যোৱা দহ মাহৰ ভূমিকা আৰু কাৰ্য্যাৱলী সূক্ষ্মভাৱে বিচাৰ-বিশ্লেষণ কৰি চোৱা উচিত।

উক্ত অধিবেশনতে শ্ৰীচন্দ্ৰজিৎ যাদৱে অসমৰ ছাত্ৰ আন্দোলনক পঞ্জাবত সম্প্ৰতি হৈ থকা ছাত্ৰ-অশান্তিৰ লগত তুলনা কৰিছিল। পঞ্জাবত ছাত্ৰসকলে আন্দোলন কৰিছে চিনেমাৰ দাম বঢ়োৱাৰ বিৰুদ্ধে, আৰু অসমৰ ছাত্ৰই আন্দোলন কৰিছে মাতৃভাষাৰ আত্ম-প্ৰতিষ্ঠাৰ কাৰণে। তেনেস্থলত পঞ্জাবৰ ছাত্ৰ-অশান্তিৰ লগত অসমৰ ছাত্ৰ-আন্দোলনৰ শ্ৰীযাদৱে কৰা তুলনা অসমৰ ছাত্ৰ-সমাজৰ প্ৰতি বা অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি অপমান স্বৰূপ বুলি আমি ভাবোঁ।

যিহওক, অধিবেশনত সদস্যসকলে একো মাত নামাতিলে যদিও সভাকক্ষৰপৰা বাহিৰলৈ ওলাই আহি বেছিভাগ সদস্যই এই বুলি মত প্ৰকাশ কৰা শুনা গৈছিল যে অধিবেশনৰ সিদ্ধান্তই উদ্‌গ্ৰীৱ কৌতূহলেৰে বাট চাই থকা অসমৰ জনসাধাৰণক সন্তুষ্ট কৰাৰ আশা নাই। বড়ো-কছাৰী সম্প্ৰদায়ৰ এজন কংগ্ৰেছী সদস্যই মন্তব্য কৰিছিল ঃ "বিধান সভাত বড়ো-কছাৰী সম্প্ৰদায়ৰ সাতজন এম-এল-এ আছে। তাৰে এজন মাত্ৰ ভৈয়াম জনজাতি পৰিষদৰ সদস্য। তেৰোঁ এটা সমষ্টিত হাৰিছিল, আকৌ আন এটা সমষ্টিত মাত্ৰ ৪০০ টা ভোটৰ ব্যৱধানত জিকিছিল। কিন্তু আজি ৰাজনৈতিক স্বাৰ্থ-বৃদ্ধিৰ প্ৰয়োজনত সেই এজন সদস্যকেই সমগ্ৰ বড়ো-কছাৰী সম্প্ৰদায়ৰ মুখপত্ৰৰূপে তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে। বৰ্তমান চৰকাৰৰ এনেবোৰ ভেদ-বৃদ্ধিয়ে অসমক খণ্ড-বিখণ্ড কৰাত সহায় কৰিব।"

যিহওক, অসমৰ বেছিভাগ কংগ্ৰেছী সদস্যই এতিয়া কিংকৰ্তব্যবিমূঢ় হৈ পৰিছে। তেওঁলোকৰ মনত ধাৰণা হৈছে যে অসম কংগ্ৰেছ আৰু সমগ্ৰ অসম ৰাজ্যৰ সমুখত এটা ডাঙৰ অনিশ্চয়তা বিৰাট প্ৰশ্নবোধক চিনৰ দৰে দেখা দিছে। এতিয়া সকলোৰে শেষ ভাৰসা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী। জনসাধাৰণৰ মনোভাব নিৰ্ভুলভাৱে বুজি পোৱাত শ্ৰীমতী গান্ধীৰ অন্তৰ্দৃষ্টি আৰু সংবেদনশীলতা সৰ্বজনস্বীকৃত। অসমৰ ৰাজধানীত থকা অৱস্থাত পৰিস্থিতিটো কি ভাৱে অধ্যয়ন কৰে আৰু কি সিদ্ধান্ত লয় — কেৱল সেই কথাৰ প্ৰতিহে অসমৰ ৰাইজে বৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

সাপ্তাহিক নীলাচল, ২০৬ সংখ্যা ঃ ১৫ নবেম্বৰ, ১৯৭২

যোৱা ডেৰ মাহৰ ঘটনাৱলী

অসমৰ মুখ্যমন্ত্ৰীয়ে যোৱা ১১ নবেম্বৰ তাৰিখে ছাত্ৰ আন্দোলনৰ প্ৰায় আটাইকেইটা দাবী মানি লৈ চৰকাৰী বিবৃতি দিয়াৰ পিচত ছাত্ৰ-নেতাসকলে সম্প্ৰতি চলি থকা গণ-সত্যাগ্ৰহ সাময়িকভাৱে স্থগিত ৰাখিছে। আমি আশা কৰোঁ আৰু লগতে বিশ্বাসো কৰোঁ যে এই আন্দোলন পুনৰ আৰম্ভ কৰিব লগা নহ'ব। এই আন্দোলনে অসমীয়া ভাষাৰ আত্ম-প্ৰতিষ্ঠাৰ দাবীত যি বিপুল জনমত আৰু ভাবাবেগৰ সৃষ্টি কৰিলে — তাৰ শক্তিক উলাই কৰাৰ সাধ্য কোনো চৰকাৰৰ নহ'ব। আন্দোলনৰ সফল পৰিসমাপ্তিৰ কাৰণে আমি অসমৰ ছাত্ৰ-সমাজলৈ অভিনন্দন আগবঢ়ালোঁ।

আন্দোলন শেষ হ'ল যদিও বিভিন্ন ক্ষেত্ৰত ইয়াৰ প্ৰতিক্ৰিয়া সুদূৰ-প্ৰসাৰী হ'ব বুলি আমাৰ ধাৰণা। যোৱা ডেৰ মাহৰ ঘটনাৱলীৰ এনে কেইটামান বৈশিষ্ট্য দেখা গৈছে — যিবোৰৰ পূৰ্ব-দৃষ্টান্ত বা তুলনা বিচাৰি পোৱা টান। প্ৰথমতে, বিধান সভাই সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰা এটা প্ৰস্তাব গণ-আন্দোলনৰ হেঁচাত পৰি প্ৰকৃতপক্ষে প্ৰত্যাহাৰ কৰা হ'ব বুলি ঘোষণা কৰিব লগা হ'ল। ভাৰতৰ সাংবিধানিক বুৰঞ্জীত এনে ঘটনা বোধহয় এয়েই প্ৰথম। দ্বিতীয়তে, অসমত এইবাৰেই সৰ্বপ্ৰথম এনে এটা বিৰাট গণ-আন্দোলন কোনো ৰাজনৈতিক দলৰ সহায়-সমৰ্থন নোহোৱাকৈ কেৱল অ-ৰাজনৈতিক ছাত্ৰ অনুষ্ঠানৰ দ্বাৰাই পৰিচালিত হ'ল। তৃতীয়তে, এইবাৰৰ আন্দোলন-পৰিচালনাত ছাত্ৰ-নেতাসকলে আৰম্ভণিৰপৰা শেষ মুহূৰ্ত পৰ্য্যন্ত যি ৰণ-কৌশল, বিচক্ষণতা আৰু কল্পনা-শক্তিৰ পৰিচয় দিলে তাৰ প্ৰভাব আৰু প্ৰতিক্ৰিয়া অসমৰ ৰাজনৈতিক জীৱনত নানা প্ৰকাৰে অনুভূত হ'ব।

যোৱা ডেৰ-মাহৰ ঘটনাৱলীয়ে কেইটামান কথা অতি দৃঢ় ভেটিত প্ৰতিষ্ঠা কৰিলে আৰু আন কেইটামান কথা প্ৰমাণ কৰি দেখুৱালে। সেইবোৰৰ ভিতৰত প্ৰথমটো হ'ল এই যে, অসমীয়া ভাষাই তাৰ নিজৰ গৃহ-ভূমি অসমত কোনো ধৰণৰ প্ৰতিদ্বন্দ্বিতা সহ্য নকৰে আৰু অসমীয়া মানুহৰ তীব্ৰ ভাষা-প্ৰেমৰ বাস্তৱতাক অস্বীকাৰ কৰি এই অঞ্চলটোত স্থায়ী শান্তি, সম্প্ৰীতি আৰু নিৰাপত্তা আশা কৰাটো অসম্ভৱ। অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত গঢ়ি উঠিব লগা খণ্ড-জাতীয় সত্তা (Sub-national identity) যাইকে অসমীয়া ভাষাক আশ্ৰয় কৰিয়েই গঢ়ি উঠিব লাগিব ঃ এই বাস্তৱ সত্যটো যোৱা ডেৰ মাহৰ ঘটনাৱলীয়ে সকলোৰে মাথাত সুমুৱাই দিব পাৰিছে বুলি আমি ভাবোঁ।

দ্বিতীয়তে, আন্দোলন আৰম্ভ হ'বৰ দিন ধৰি অসম চৰকাৰৰ নেতাসকলে এই বুলি প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছিল যে এই আন্দোলন শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ মন্ত্ৰীসভাক ক্ষমতাচ্যুত কৰিবলৈ কৰা এটা ছদ্মবেশী ষড়যন্ত্ৰৰ বাহিৰে আন একো নহয়। কোনো কোনো স্বাৰ্থান্ধ মানুহে নিজৰ সঙ্কীৰ্ণ উদ্দেশ্য-সিদ্ধিৰ কাৰণে বৰ্তমানৰ অশান্ত পৰিস্থিতিৰ সুযোগ যে একেবাৰেই লোৱা নাছিল সেই কথা আমি জোৰকৈ ক'ব নোৱাৰোঁ। কুম্ভ-মেলাৰ নিচিনা বৃহৎ ধৰ্ম-মেলালৈ পুণ্যাৰ্থী যেনেকৈ যায়, বেশ্যা আৰু জেপলুব্ধকা চোৰো ঠিক তেনেকৈয়ে যায়। কিন্তু দুই-চাৰিটা মানুহে চুৰ কৰিলে বুলিয়েই ধৰ্ম-মেলাক যেনেকৈ চোৰৰ মেলা বুলি ক'ব নোৱাৰি, ঠিক সেইদৰে দুই-চাৰিজন স্বাৰ্থান্ধ আৰু সমাজ-বিৰোধী মানুহে দুষ্কাৰ্য্য কৰিলে বুলিয়েই সমগ্ৰ গণ-আন্দোলনটোক স্বাৰ্থ-প্ৰণোদিত বুলি নিশ্চয় ক'ব নোৱাৰি। অসমৰ সমগ্ৰ জনসাধাৰণ আবেগিকভাৱে সম্পৃক্ত হৈ পৰা এই গণ-আন্দোলনটোৰ মাজত ৰাজনৈতিক ষড়যন্ত্ৰ আবিষ্কাৰ কৰিবলৈ চেষ্টা কৰি শ্ৰীশৰৎ চন্দ্ৰ সিংহই এই কথাই প্ৰমাণ কৰিলে যে ৰাইজৰ হৃৎ-স্পন্দন অনুভৱ কৰিবৰ জোখাৰে সূক্ষ্ম সংবেদনশীলতা তেওঁৰ নাই। নেতৃত্ব-প্ৰয়াসী এজন লোকৰ প্ৰকৃতিত ই এটা অতি ডাঙৰ অভাৱ।

যোৱা ডেৰ মাহৰ ঘটনাৱলীয়ে অসম চৰকাৰ আৰু শাসক দলক যিভাৱে ক্ষত-বিক্ষত কৰিছে তাৰ কোনো তুলনা নাই। অশান্তিৰ দাবানল যেতিয়া আৰম্ভ হ'ল, তেতিয়া মুখ্যমন্ত্ৰীকে ধৰি আটাইকেইজন মন্ত্ৰী নিৰুদ্দেশ হ'ল। মন্ত্ৰীসভাৰ একাধিক সদস্যই মন্ত্ৰীসভাৰ ভিতৰত থাকিয়েই চৰকাৰৰ বিৰোধাচৰণ কৰিবলৈ ধৰিলে। বিধানসভাৰ বহুতো সদস্যই বিধান সভাৰ সৰ্বসন্মত প্ৰস্তাৱৰ বিৰুদ্ধে প্ৰকাশ্যে লিখিত বিবৃতি দি পিচত এই বুলি ক'বলৈ প্ৰয়াস পালে যে জোৰ-জবৰ্দস্তী কৰিহে তেওঁলোকৰপৰা তেনে বিবৃতি আদায় কৰা হৈছিল। কাছাৰৰ তিনিখন জিলা কংগ্ৰেছে প্ৰদেশ কংগ্ৰেছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে আৰু দলীয় নিয়ম-শৃংখলাক জীয়াই জীয়াই কবৰ দিলে। ১৯৭১ চনত 'অক্টোবৰ বিপ্লৱ' (?) কৰি অসমত নতুন বিপ্লৱী চৰকাৰ প্ৰতিষ্ঠা কৰাৰ বাট সুগম কৰা 'যুৱক-কংগ্ৰেছ' ১৯৭২ চনৰ 'অক্টোবৰ প্ৰতি-বিপ্লৱ'ৰ (?) হেঁচাত পৰি বাঘৰ ছাল পিন্ধা ভেঁৰাৰ দল বুলি প্ৰমাণিত হ'ল। প্ৰদেশ কংগ্ৰেছ অনুষ্ঠানটো দিগ্‌দৰ্শক আৰু নেতৃত্ব-বিধায়ক অনুষ্ঠান হোৱাৰ পৰিবৰ্তে চৰকাৰৰ এটা ডাক-ঘৰত পৰিণত হ'ল। ছাত্ৰসকলে আৰম্ভণিৰপৰাই একেটা মতত স্থিৰ আৰু অবিচল হৈ থাকি সু-পৰিকল্পিতভাৱে আন্দোলন চলাই গ'ল, আৰু অৱশেষত জয়যুক্ত হ'ল; আনহাতে মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে নিজৰ মত আৰু স্থিতি সলনি কৰি থাকি অৱশেষত নৈতিক পৰাজয়বৰণ কৰিবলৈ বাধ্য হ'ল। মুঠতে যোৱা ডেৰ মাহৰ ঘটনাৱলীয়ে বিধান সভাৰ নৈতিক কৰ্তৃত্ব আৰু পৱিত্ৰতা কিছু পৰিমাণে ম্লান কৰি পেলালে; বহুতো মন্ত্ৰী আৰু এম.এল.এ.ৰ ভাবমূৰ্তি চিনিব নোৱৰাকৈ বিকৃত কৰি তুলিলে; কংগ্ৰেছ অনুষ্ঠানৰ সাংগঠনিক আৰু আদৰ্শগত অন্তৰ্দ্বন্দ্বক বেগেজ খুলি পেলোৱা এডোখৰ গেলা ঘাৰ নিচিনাকৈ জনসাধাৰণৰ চকুৰ আগত উন্মোচিত কৰি দিলে। এই সকলোবোৰৰে মুঠ পৰিণাম এয়েই হ'ল যে অসমত এটা ডাঙৰ নেতৃত্বৰ সঙ্কটৰ সৃষ্টি হ'ল।

বহুতো মানুহে সাম্প্ৰতিক গণ-আন্দোলনৰ মাজত ফ্যাচিষ্ট্ মনোভাৱৰ শিৰোখান দেখা পাইছে আৰু জনমতৰ হেঁচাত বিধান সভাৰ সৰ্বসন্মত প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিব লগা ঘটনাৰ মাজত গণতন্ত্ৰৰ বিপদ-সঙ্কেত দেখা পাইছে। প্ৰথমটো অভিযোগ অতি গুৰুতৰ, আৰু তাৰ সত্যাসত্য নিৰূপণ কৰিবলৈ সমগ্ৰ আন্দোলনটোৰ আঁতি-গুৰি ভালকৈ অধ্যয়ন কৰিব লাগিব। দ্বিতীয় প্ৰশ্নটোৰ বিষয়ে আমি ভাবোঁ যে কেৱল বিধানসভাখনেই গণতান্ত্ৰিক আচাৰ-অনুষ্ঠান আৰু মূল্য-বোধৰ একমাত্ৰ প্ৰতীক নহয়। গণতন্ত্ৰৰ অৰ্থ হ'ল জনমত আৰু আলোচনাৰ দ্বাৰাই শাসন। পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ যোগেদি নিশ্চয় জনমতৰ প্ৰকাশ হয়; কিন্তু তাৰ অৰ্থ নিশ্চয় এই নহয় যে দুটা নিৰ্বাচনৰ মাজত আন কোনো প্ৰকাৰেই জনমতৰ প্ৰকাশ নহ'ব বা তেনে প্ৰকাৰে প্ৰকাশ পোৱা জনমতক চৰকাৰে উপেক্ষা কৰি থাকিব পাৰিব। শান্তিপূৰ্ণ গণ-আন্দোলনো জনমত প্ৰকাশৰ এটা সম্পূৰ্ণ বৈধ আৰু শক্তিশালী মাধ্যম। দেশৰ চৰকাৰে যেতিয়া স্বাভাৱিক উপায়েৰে জনসাধাৰণৰ নাড়ীৰ স্পন্দন অনুভৱ কৰিবলৈ অক্ষম হৈ পৰে, তেতিয়া আন্দোলনেই জনমত প্ৰকাশৰ একমাত্ৰ উপায়ত পৰিণত হয়। ওৱাল্ট্ হুইট্‌মেনে নৈতিক মহিমাৰে সমুজ্জ্বল যি এক মহৎ নগৰীৰ কল্পনা কৰিছে তাৰ এটা লক্ষণেই হ'ল : Where the populace rise at once against the never-ending audacity of elected persons (Song of the broad-axe) – "য'ত জনতাই নিৰ্বাচিত ব্যক্তিসকলৰ অন্তহীন স্পৰ্দ্ধাৰ বিৰুদ্ধে তৎক্ষণাৎ মূৰ দাঙি উঠে।....

সদ্য-সমাপ্ত গণ-আন্দোলনৰ মাজেদি অসমৰ ছাত্ৰ-সমাজে যি সংগঠন-শক্তি আৰু নৈতিক বলৰ পৰিচয় দিছে সেইখিনি যদি তেওঁলোকে অন্যান্য গঠনমূলক ক্ষেত্ৰলৈ প্ৰবাহিত কৰে আৰু মূল্যবৃদ্ধি আৰু চোৰাং বজাৰৰ নিচিনা অশুভ শক্তিৰ বিৰুদ্ধে প্ৰয়োগ কৰে – তেন্তে অসমৰ ছাত্ৰ সমাজ জনতাৰ প্ৰকৃত বন্ধু আৰু ত্ৰাণকৰ্তা বুলি পৰিগণিত হ'ব।

মাধ্যম আন্দোলন সাময়িকভাবে স্থগিত

সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি চলা মাধ্যম সম্পৰ্কীয় আন্দোলনৰ বৰ্তমানৰ কাৰ্য্যসূচী সাময়িকভাবে স্থগিত ৰাখিছে। যোৱা শনিবাৰে সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্যনিৰ্বাহকৰ জৰুৰী সভাই সুদীৰ্ঘ আলোচনাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰে।

অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই শনিবাৰে সন্ধিয়া এক প্ৰেছ বিজ্ঞপ্তি যোগে যথাসময়ত বহিৰ্বঙ্গীয়া বিধান সভাৰ আগন্তুক অধিবেশনত, যোৱা ২৩ চেপ্তেম্বৰত ৰাজ্য বিধান সভাই গ্ৰহণ কৰা মাধ্যম সম্পৰ্কীয় প্ৰস্তাৱটো উত্থাপন কৰা হ'ব বুলি ঘোষণা কৰাৰ পিচত সদৌ অসম ছাত্ৰ সন্থাই আন্দোলন স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীয়ে প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰাৰ আগতে শনিবাৰে আবেলি গুৱাহাটীত সদৌ অসম ছাত্ৰ ইউনিয়নৰ নেতাসকলৰ সৈতে এক আলোচনাত মিলিত হয় আৰু এই গুৰুত্বপূৰ্ণ আলোচনাই বিষয়টোৰ সুমীমাংসাৰ পথ মুকলি কৰে।

সদৌ অসম ছাত্ৰ সন্থাৰ জৰুৰী কাৰ্য্যনিৰ্বাহকে গ্ৰহণ কৰা প্ৰস্তাৱটোত কোৱা হৈছে : "সমগ্ৰ অসমব্যাপী হোৱা জন-জাগৰণক সন্মান জনাই অসম চৰকাৰে প্ৰকাশ কৰা প্ৰেছ বিজ্ঞপ্তিৰ পৰিপ্ৰেক্ষিতত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্য-নিৰ্বাহকৰ জৰুৰী সভাই সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত চলি থকা আন্দোলনৰ বৰ্তমানৰ কাৰ্য্যসূচী সাময়িকভাবে স্থগিত ৰাখিবলৈ সিদ্ধান্ত লয়। বিধান সভাৰ ২৩ চেপ্তেম্বৰৰ প্ৰস্তাৱ পৰৱৰ্তী অধিবেশনত প্ৰত্যাহাৰ কৰা নোহোৱালৈকে নীতিগতভাবে আমাৰ আন্দোলন অব্যাহত থাকিব" বুলিও সভাই সিদ্ধান্ত লয়।

মুখ্যমন্ত্ৰীৰ ঘোষণা

শনিবাৰে সন্ধিয়া মুখ্যমন্ত্ৰী সিংহই গুৱাহাটীত প্ৰকাশ কৰা প্ৰেছ বিজ্ঞপ্তিখনত কোৱা হৈছে :

"যোৱা ৮ নবেম্বৰত দিল্লীত সদৌ অসম ছাত্ৰ সন্থাৰ নেতাসকলৰ লগত প্ৰধানমন্ত্ৰীৰ সাক্ষাৎ হওঁতে প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুযায়ী বিষয়টো পৰ্য্যালোচনা কৰি চোৱাৰ উদ্দেশ্যে সন্থাৰ কাৰ্য্যনিৰ্বাহক কমিটীৰ সভা পতাত মই অত্যন্ত আনন্দিত হৈছোঁ। প্ৰধানমন্ত্ৰীয়ে ছাত্ৰসকলক আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ আৰু ২৯ অক্টোবৰত অনাতাঁৰ ভাষণ যোগে মুখ্যমন্ত্ৰীয়ে দিয়া আশ্বাস গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে।"

"প্ৰধান মন্ত্ৰীৰ পৰামৰ্শৰ প্ৰতি লক্ষ্য ৰাখি সদৌ অসম ছাত্ৰ সন্থাৰ নেতাসকলক আৰু অসমৰ ৰাইজক আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ মই আন্তৰিকতাৰে আহ্বান জনাইছোঁ। অসম কংগ্ৰেছ বিধায়িনী দল আৰু অসমৰ কংগ্ৰেছ এম-পি সকলৰ যোৱা ৪ নবেম্বৰত বহা যুটীয়া সভাই মুখ্যমন্ত্ৰীৰ ২৯ অক্টোবৰ অনাতাঁৰ ভাষণক অনুমোদন জনাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলৰ যোৱা ১২ জুনৰ শিক্ষাৰ মাধ্যম সম্পৰ্কীয় সিদ্ধান্তকেই গ্ৰহণ কৰাত গুৰুত্ব দিয়ে।"

"সেয়ে বিশ্ববিদ্যালয় .পৰ্য্যায়ত শিক্ষাৰ মাধ্যম কি হ'ব সেই বিষয়ে এতিয়া আৰু সন্দেহ কৰা উচিত নহয়। মই অকণো দ্বিধাবোধ নকৰাকৈ পুনৰ ক'ব খোজোঁ যে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলে বিশ্ববিদ্যালয় পৰ্য্যায়ত গ্ৰহণ কৰা শিক্ষাৰ মাধ্যম সম্পৰ্কীয় সিদ্ধান্তক চৰকাৰে গ্ৰহণ কৰিছে।"

যোৱা ২৩ চেপ্তেম্বৰ তাৰিখে বিধানসভাই গ্ৰহণ কৰা প্ৰস্তাৱটো ব্ৰহ্মপুত্ৰ উপত্যকা-আৰু কাছাৰ জিলাৰ বাইজৰ কাৰণে যিহেতু গ্ৰহণযোগ্য নহ'ল আৰু চৰকাৰে প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিব নোৱাৰে আৰু নকৰেও বুলি ইতিমধ্যে সুস্পষ্টভাৱে ঘোষণা কৰিছে, সেয়ে উক্ত প্ৰস্তাৱটো কাৰ্য্যকৰী কৰাৰ সম্পৰ্কত ভুল ধাৰণা লোৱা উচিত নহ'ব।"

"২৩ চেপ্তেম্বৰৰ প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিব নোৱাৰি বুলি চৰকাৰে স্থিতি লোৱাৰ পিচত আৰু ৰাইজেও উক্ত প্ৰস্তাৱটোৰ মুকলিভাৱে বিৰোধিতা কৰাত সংসদী নিয়ম-নীতি অনুযায়ী বিষয়টো বিধান সভাত উত্থাপন কৰাটো চৰকাৰৰ বাবে প্ৰয়োজনীয় হ'ব। যথাসময়ত বহিবলগীয়া বিধান সভাৰ আগন্তুক অধিবেশনত প্ৰস্তাৱটো সেই পৰিপ্ৰেক্ষিতত উত্থাপন কৰা হ'ব।"

"এই কথাও উল্লেখ কৰিব খোজোঁ যে আগতে কৰা ঘোষণা অনুযায়ী অসমৰ সকলো অনা-অসমীয়া মাধ্যমিক বিদ্যালয়ত অসমীয়াক বাধ্যতামূলক শিক্ষাৰ বিষয় হিচাবে প্ৰবৰ্তন কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে।"

মন্ত্ৰীসভাৰ পুনৰ্বিন্যাস

বিলাতৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী হেৰল্ড্ উইল্‌চনে তেওঁৰ মন্ত্ৰীসভা গঠনৰ সময়ত বনুৱা দলৰ এজন বিশিষ্ট সদস্যক শিক্ষা-মন্ত্ৰীৰ পদ যাচিছিল। কিন্তু সদস্যজনে সেই পদ প্ৰত্যাখ্যান কৰিছিল। মন্ত্ৰী হ'বলৈ অস্বীকাৰ কৰি তেওঁ যি কাৰণ দৰ্শাইছিল, সেই কথা ভাৰতীয় ৰাজনীতিকসকলে বিশ্বাস কৰিবলৈ নিশ্চয় টান পাব। তেওঁ কেৱল এই যুক্তিতেই শিক্ষা-মন্ত্ৰী হ'বলৈ অস্বীকাৰ কৰিছিল যে শিক্ষাৰ বিষয়ে তেওঁ একো নাজানে।

ইয়াৰ বিপৰীতে অসমৰ অৱস্থা তুলনা কৰি চাওক। কেইবছৰমানৰ আগতে এগৰাকী ৰাজনীতিজ্ঞই নিতান্ত অপ্ৰত্যাশিতভাৱে হঠাৎ মন্ত্ৰী-পদ লাভ কৰিলে। মন্ত্ৰী হিচাবে গধূলি শপত খাই উঠিয়েই তেওঁৰ মনলৈ প্ৰথম যিটো চিন্তা আহিল — সেইটো হৈছে এই যে তেওঁ যদি যিমান পাৰে সোনকালে নিজৰ সমষ্টিলৈ গৈ মন্ত্ৰীৰ গাড়ীখন ঘূৰাই শতৰুৰ মুখত ছাই দিব নোৱাৰে, তেন্তে তেওঁৰ মন্ত্ৰী হোৱাৰ সুখটোৱেই সম্পূৰ্ণ নহয়। গাড়ী লৈ তেওঁ ৰাতিৰ ভিতৰতে কেইবা শ মাইল দূৰৰ নিজৰ সমষ্টিলৈ ঢাপলি মেলিলে। য'ত য'ত ঘূৰিব লাগে ঘূৰি হঠাৎ এবাৰ তেওঁৰ মনলৈ ভয় আহিল যে শতৰুৰ মুখত ছাই দিয়াৰ লগতে চৰকাৰী কাম অকণমানো কৰি গ'লেহে পানীৰ দৰে চৰকাৰী পেট্ৰল খৰচ কৰাৰ সামান্য সাৰ্থকতা হয়। তেওঁ কি কি বিষয়-বাব পাইছে সেই কথা চিন্তা কৰিবলৈ তেওঁৰ তেতিয়াহে সময় হ'ল। কিন্তু বিষয়াৰ কেইটা তেওঁৰ ইমান অচিনাকি যে কোনটো চৰকাৰী কাৰ্য্যালয় তেওঁৰ অধীনত পৰে তেওঁ তাকেই নাজানে। শেষত যেনিবা তেওঁ আত্মীয় চৰকাৰী বিষয়া এজনক মাতি আনি কোন কেইটা চৰকাৰী কাৰ্য্যালয়ত তেওঁ পৰিদৰ্শন কৰিব পাৰে সেই কথা সুধি ল'লে; পৰিদৰ্শনৰ সময়ত সুধিবলগীয়া প্ৰশ্ন কেইটামানো সেই বিষয়াজনেই লিখি দিলে; তেতিয়াহে মন্ত্ৰীয়ে নিজৰ কৰ্তব্য সম্পাদন কৰি নিজৰ জীৱন সাৰ্থক কৰাৰ লগে লগে ৰাইজকো ধন্য কৰিলে।

অৱশ্যে সকলো মন্ত্ৰীৰেই গুণ-গৰিমা যে ঠিক এনেকুৱাই — সেই কথা নিশ্চয় ক'ব নোৱাৰি। ই এটা আত্যন্তিক উদাহৰণ। কিন্তু সাধাৰণভাৱে চাবলৈ গ'লে ভাৰতবৰ্ষত — বিশেষকৈ ৰাজ্য চৰকাৰবোৰৰ ক্ষেত্ৰত — মন্ত্ৰী পদৰ কাৰণে মানুহ বাছিবৰ সময়ত আটাইতকৈ কম মূল্য দিয়া হয় যোগ্যতাক। বাৰ্ণাৰ্ড শ্বই কৈছিল যে যি মানুহে একো নাজানে অথচ সকলো কথা জানো বুলি নিজে ভাবে — তেনে মানুহৰ ৰাজনৈতিক নেতা হোৱাৰ বাহিৰে আন কোনো গত্যন্তৰ নাই। কথাষাৰ নিশ্চয় অতিশয়োক্তি। কিন্তু ভাৰতবৰ্ষৰ বহুতো মন্ত্ৰীসভাৰ চেহেৰা দেখিলে এনে এটা সিদ্ধান্ত নকৰি উপায় নাই যি মানুহে একো নাজানে অথচ সকলো কথা জানো বুলি ভাবে, তেনে মানুহৰ — অন্ততঃ ভাৰতবৰ্ষত — মন্ত্ৰী হোৱাৰ বাহিৰে আন কোনো গত্যন্তৰ নাই। মন্ত্ৰীৰ বাহিৰে আন কোনো মানুহে ৰাতিটোৰ ভিতৰতে শিক্ষা, কৃষি, উদ্যোগ, প্ৰশাসন আদি সকলো ক্ষেত্ৰতে নিজৰ প্ৰশ্নাতীত পাৰদৰ্শিতা আৰু জ্ঞান জাহিৰ কৰিব পাৰে?

যি দেশত এতিয়াও শতকৰা আশীজন মানুহ নিৰক্ষৰ, য'ত সমাজ এতিয়াও সংখ্যাহীন জাতি-কুল আৰু সম্প্ৰদায়ৰ মাজত বিভক্ত, য'ত বেছিভাগ মানুহেই সাক্ষৰহে হৈছে কিন্তু শিক্ষিত হোৱা নাই, আধুনিক

যুগত বাসহে কৰিছে কিন্তু মনত আধুনিকতাৰ পোহৰ পৰা নাই, য'ত শতকৰা নৱৈজনতকৈ অধিক ভোট-দাতাই ৰাজনৈতিক বা অৰ্থনৈতিক কাৰ্য্যসূচী বিবেচনা কৰি ভোট নিদিয়ে — ভোট দিয়ে ধৰ্ম, জাতি-কুল আৰু সম্প্ৰদায়ৰ কথা বিবেচনা কৰি বা আৰ্থিক উপকাৰৰ বিনিময়ত — তেনে এখন দেশত কেৱল যোগ্যতাৰ কথা বিবেচনা কৰি মন্ত্ৰীসভা গঠন কৰাটো বাস্তৱ দৃষ্টিভংগীৰ পৰা বোধহয় সম্ভৱো নহয়। যিবোৰ পৰম্পৰাবাদী আৰু প্ৰগতি-বিৰোধী শক্তিয়ে নিৰ্বাচনৰ কৌশল আৰু ফলাফল নিয়ন্ত্ৰিত কৰে, সেই একেবোৰ শক্তিয়েই নানা অদৃশ্য বন্ধনেৰে চৰকাৰৰ নেতাজনৰ হাত-ভৰিও বান্ধি ৰাখে। মন্ত্ৰীসভা গঠন কৰিবৰ সময়ত তেওঁ আপোচ্ কৰিব লগা হয় সাম্প্ৰদায়িক বিবেচনাৰ লগত, আপোচ কৰিব লগা হয় উপদলীয় স্বাৰ্থৰ লগত, আপোচ্ কৰিব লগা হয় পৃষ্ঠপোষকসকলৰ নেপথ্য নিৰ্দেশৰ লগত। ইমানখিনি আপোচ্ কৰি কৰি যি মন্ত্ৰীসভা গঠন কৰা হয়, তাৰ মাজত যোগ্যতা বা প্ৰতিভাৰ কাৰণে ঠাই উলিয়াবলৈ প্ৰকৃতপক্ষে অতি সামান্য সুযোগহে বাকী থাকে।

অসমৰ বৰ্তমান মন্ত্ৰীসভাখনৰ যোগ্যতাৰ বিচাৰ কৰোতে এই এই বাস্তৱ সমস্যাবোৰৰ কথা নিশ্চয় মনত ৰাখিব লাগিব। কিন্তু এই আটাইবোৰ কথা বিবেচনা কৰিও এটা কথা নকৈ উপায় নাই যে যোৱা পঁচিশ বছৰৰ ভিতৰত এইখনেই অসমৰ আটাইতকৈ দুৰ্বল মন্ত্ৰীসভা।

নতুন মন্ত্ৰীসভা এখন গঠন কৰিবৰ সময়ত দলপতিজনে যোগ্যতাৰ বাহিৰেও ঘাইকৈ তিনিটা কথা বিবেচনা কৰিব লগা হয় ঃ (১) সাম্প্ৰদায়িক প্ৰতিনিধিত্ব (২) আঞ্চলিক প্ৰতিনিধিত্ব আৰু (৩) উপদলীয় প্ৰতিনিধিত্ব। এই আটাইকেইটা বিবেচনাৰ লগত যোগ্যতা বা প্ৰতিভাৰ সমন্বয় সাধন কৰাৰ ওপৰতে মুখ্যমন্ত্ৰীজনৰ কৃতিত্ব নিৰ্ভৰ কৰে। সামান্য অসৎ উদ্দেশ্য থাকিলেই যি কোনো মুখ্যমন্ত্ৰীয়ে যোগ্য আৰু প্ৰতিভাশালী লোকক মন্ত্ৰীসভাত সোমোৱাত বাধা দিবলৈ উপৰোক্ত তিনিওটা বিবেচনাক অজুহাত হিচাবে ব্যৱহাৰ কৰিব পাৰে। ভাৰতবৰ্ষত এনে ঘটনা প্ৰায়েই হৈ থাকে।

যদি স্বীকাৰ কৰি লোৱা হয় যে সিংহ-মন্ত্ৰীসভাখন সঁচাকৈয়ে দুৰ্বল মন্ত্ৰীসভা, তেতিয়াহ'লে স্বাভাৱিকতেই প্ৰশ্ন উঠে ঃ বৰ্তমানৰ বিধান সভাত ইয়াতকৈ যোগ্যতাৰ মন্ত্ৰীসভা এখন গঠন কৰিব পৰাৰ কোনো সম্ভাৱনাই নাছিলনে? সাম্প্ৰদায়িক, আঞ্চলিক আৰু উপদলীয় প্ৰতিনিধিত্বৰ দাবী পূৰণ কৰোতে তাৰ ভিতৰতে যোগ্য লোকো মন্ত্ৰীসভাত সোমাই গৈছেনে? যদি নাই সোমোৱা, তেন্তে যোগ্য লোকক মন্ত্ৰীসভাত ল'বলৈ মুখ্যমন্ত্ৰীয়ে কিবা বিশেষ চেষ্টা কৰিছিলনে? বৰ্তমান মন্ত্ৰীসভাত অন্তৰ্ভুক্ত নোহোৱাকৈ বিধান সভাৰ শাসক দলত এনে কোনো যোগ্যতা-সম্পন্ন লোক বৈ গৈছেনে — যি কেইজনক মন্ত্ৰীসভাত ঠাই দিয়া হ'লে মন্ত্ৰীসভাখনৰ শক্তি আৰু কাৰ্য্যদক্ষতা বৃদ্ধি পালেহেঁতেন? যদি তেনে লোক আছে তেন্তে কি যুক্তিত সেইসকল লোকক মন্ত্ৰীসভাত ঠাই দিয়া নহ'ল?

এই কেইটা প্ৰশ্নৰ উত্তৰ বিচৰাৰ আগতে সত্য আৰু ন্যায়-বিচাৰৰ খাতিৰত সিংহ-মন্ত্ৰীসভাখনৰ সমৰ্থনতো কেইটামান কথা স্বীকাৰ কৰি ল'ব লাগিব। সিংহ-মন্ত্ৰীসভাৰ তিনিটা উল্লেখযোগ্য বৈশিষ্ট্য আছে। প্ৰথমতঃ, এই মন্ত্ৰীসভাৰ চৈধ্যজন মন্ত্ৰীৰ ভিতৰত তিনিজনক বাদ দি বাকী এঘাৰজনেই নতুন মানুহ; ভাৰতবৰ্ষত এবাৰ মন্ত্ৰী হ'লেই সদায় মন্ত্ৰী হৈ থকাৰ যি ন্যস্ত-স্বাৰ্থ গঢ়ি উঠে — তাৰ মূলতে কুঠাৰাঘাত কৰি আৰু একে লগতে বহুতো নতুন মানুহক মন্ত্ৰীসভাত লৈ শ্ৰীসিংহই যথেষ্ট সাহসৰ পৰিচয় দিছে। দ্বিতীয়তে, বেছিভাগ

মন্ত্ৰী নতুন বুলিয়েই হওক বা শ্ৰীশৰৎ সিংহৰ ব্যক্তিত্বৰ কাৰণেই হওক, এই মন্ত্ৰীসভাখন সাধাৰণভাবে দুৰ্নীতি-বিৰোধী বুলি জনমানসত তেওঁলোকৰ এটা বিশেষ ভাব-মূৰ্তি গঢ়ি উঠিছে। তৃতীয়তে, অসমৰ বিভিন্ন অনুন্নত সম্প্ৰদায়ৰ প্ৰতিনিধিয়ে এই মন্ত্ৰীসভাত বিশেষ প্ৰাধান্য লাভ কৰিছে আৰু ই অসমৰ ৰাজনীতিত দিশ্-পৰিবৰ্তনৰ ইঙ্গিত দিছে।

কিন্তু সকলো সময়তে এটা কথা মনত ৰাখিব লাগিব যে চৰকাৰ আৰু মন্ত্ৰীসভাৰ সৰ্বপ্ৰধান কৰ্তব্য হৈছে ৰাজ্য-পৰিচালনা কৰা আৰু জন-সাধাৰণৰ সৰ্বাঙ্গীন উন্নতি সাধন কৰা। তাৰ কাৰণে দক্ষতাৰ প্ৰয়োজন। এজন শিক্ষকৰ চৰিত্ৰ নিষ্কলুষ আৰু আদৰ্শস্থানীয় হ'বই লাগিব, কিন্তু তাৰ অৰ্থ লগে লগে তেওঁ বিদ্বানো হ'ব লাগিব। যি শিক্ষক কেৱল চৰিত্ৰবান, কিন্তু বিদ্বান নহয়, তেনে মানুহৰ শিক্ষক হ'ব কোনো অধিকাৰ নাই। আনকি তেওঁৰ সজ চৰিত্ৰয়ো সময়ত ছাত্ৰৰ অসম্মানকৰা তেওঁক ৰক্ষা কৰিব নোৱাৰিব, কাৰণ এজন শিক্ষকৰ ক্ষেত্ৰত বিদ্যাৰ অভাব চৰিত্ৰই পূৰণ কৰিব নোৱাৰে। মন্ত্ৰীৰ ক্ষেত্ৰতো সততাৰ লগত যোগ্যতাৰ যোগ নহ'লে তেনে মন্ত্ৰীয়ে সমস্ত প্ৰশাসন-যন্ত্ৰক দুৰ্বল কৰি দি চূড়ান্ত বিচাৰত জন-সাধাৰণৰ অপকাৰহে বেছিকৈ সাধন কৰে। অসম মন্ত্ৰীসভাৰ যোৱা আঠ মাহৰ কাৰ্য্যাবলী বিশ্লেষণ কৰি চাই আমি এই কথা ক'বলৈ অকণো দ্বিধাবোধ নকৰোঁ যে এই মন্ত্ৰীসভাই ৰাজনৈতিক, অৰ্থনৈতিক আৰু প্ৰশাসনিক আদি কোনো ক্ষেত্ৰতে নিজৰ বিশেষ একো প্ৰভাৱ পেলাব পৰা নাই। কোনোবা এজন ৰসিক সাংবাদিকে মন্তব্য কৰিছিল ঃ 'ৰুজ্‌ভেল্টে প্ৰমাণ কৰিছিল যে তেওঁ যিমান বাৰ ইচ্ছা কৰে সিমান বাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ব পাৰে; ট্ৰুমেনে প্ৰমাণ কৰিছিল যে যি কোনো মানুহেই আমেৰিকাৰ ৰাষ্ট্ৰপতি হ'ব পাৰে; আইচেনহাৱাৰে প্ৰমাণ কৰিছিল যে ৰাষ্ট্ৰপতি নোহোৱাকৈও আমেৰিকা চলি থাকিব পাৰে। অসমৰ মন্ত্ৰীসভাৰ বেছি ভাগ মন্ত্ৰীয়েই প্ৰমাণ কৰিছে যে যি কোনো মানুহেই অসমত মন্ত্ৰী হ'ব পাৰে আৰু মন্ত্ৰী নোহোৱাকৈও অসম চলি থাকিব পাৰে।

শ্ৰীশৰৎ সিংহৰ মন্ত্ৰী-সভাত অনুন্নত সম্প্ৰদায়ৰ প্ৰতিনিধিয়ে প্ৰাধান্য পোৱাত আমি সুখী হৈছোঁ। বস্তুতঃ অসমৰ মন্ত্ৰীসভাত অনুন্নত সম্প্ৰদায়ে প্ৰাধান্য পাব লাগে বুলি একমাত্ৰ নীলাচলেই এসময়ত ওকালতি কৰিছিল। নীলাচলৰ এটা সম্পাদকীয় প্ৰবন্ধত লিখা হৈছিল ঃ 'উচ্চ-বৰ্ণৰ হিন্দুসকল অসমৰ মুঠ জনসংখ্যাৰ শতকৰা পাঁচ ভাগ মাত্ৰ। কিন্তু অসমৰ মন্ত্ৰীসভাত উচ্চবৰ্ণৰ হিন্দু সম্প্ৰদায়ৰ প্ৰতিনিধি শতকৰা প্ৰায় পঁয়ত্ৰিশ ভাগ।.... উচ্চবৰ্ণ হিন্দু সম্প্ৰদায়ৰ মানুহ বেছিকৈ মন্ত্ৰী হ'লে দেশখন ৰসাতলে নিশ্চয় নাযায়; কিন্তু যি সমাজ-ব্যৱস্থাই সমাজৰ মাত্ৰ পাঁচ ভাগ মানুহৰ হাতত শাসনৰ আৰু শোষণৰ সকলো ক্ষমতা কেন্দ্ৰীভূত কৰি ৰাখি বাকী শতকৰা ৯৫ ভাগ মানুহক অনুগ্ৰহ আৰু পুতৌৰ পাত্ৰ কৰি ৰাখিছে, সেই অৱস্থাৰ অতি সোনকালে সলনি নহ'লে গণতন্ত্ৰ, সমাজবাদ আৰু ধৰ্ম-নিৰপেক্ষতাৰ সকলো ঢাক-ঢোল অৰ্থহীন আৰু মূল্যহীন বুলি প্ৰতীয়মান হ'ব।' (সাঃ নীঃ – ১১ নবেম্বৰ, ১৯৭০ চন)

কিন্তু মানুহৰ দেহত হুলেৰে হুল কঢ়া সম্ভৱ হ'লেও সমাজ-দেহত সাম্প্ৰদায়িকতাৰে সাম্প্ৰদায়িকতাক দূৰ কৰিব নোৱাৰি। অসমত সিংহ মন্ত্ৰীসভাৰ ৰাজত্ব আৰম্ভ হ'বৰ দিন ধৰি বহু মানুহৰ মুখে মুখে এটা অভিযোগ প্ৰচাৰিত হৈছে যে অসমত এক ধৰণৰ সাম্প্ৰদায়িকতাৰ অন্ত হৈ অন্য এক ধৰণৰ সাম্প্ৰদায়িকতাৰ সূচনা হৈছে। বহুতে আনকি এই বুলি ক'বলৈকো প্ৰয়াস কৰে যে অসমৰ নতুন নেতাসকলে বিহাৰ আৰু উত্তৰ-প্ৰদেশৰ নিচিনা 'জাত-কুলৰ ৰাজনীতি' (caste politics) এই ৰাজ্যলৈ নতুনকৈ আমদানী কৰিলে।

আমি ভাবোঁ যে এই অভিযোগৰ কোনো সত্যতা নাই। কিন্তু এনে এটা অভিযোগে মানুহৰ মনত ঠাই পোৱাটোৱেই অতি মাৰাত্মক কথা। আমি ভাবোঁ যে অসমৰ নতুন নেতাসকলৰ কিছু আত্ম-বিশ্লেষণৰ প্রয়োজন হৈছে। দ্য গলে এবাৰ কৈছিল : I am not on the right, nor on the left, nor in the centre; I am above. দ্য গলে অৱশ্যে সম্পূর্ণ বেলেগ প্রসংগত কথাষাৰ কৈছিল; কিন্তু সাম্প্রদায়িকতাৰ বিৰুদ্ধে যুঁজ কৰা মানুহজনৰ দৃষ্টিভঙ্গীও সামাজিক জখলাডালৰ তলৰ, মাজৰ বা ওপৰৰ ক'বো নহয়, তাৰ সম্পূর্ণ উৰ্দ্ধৰ হ'ব লাগিব; অর্থাৎ যি অর্থত নেহৰু বা ইন্দিৰা গান্ধী অসাম্প্রদায়িক, সেই অর্থতহে অসাম্প্রদায়িক হ'ব লাগিব।

মুঠতে এটা বিষয়ে কোনো সন্দেহ নাই যে অসম মন্ত্রীসভাৰ পুনৰ্বিন্যাস অনিবার্য্য হৈ পৰিছে। এই পুনৰ্বিন্যাসৰ উদ্দেশ্য হ'ব লাগিব বিভিন্ন খণ্ডৰ ন্যায্য প্রতিনিধিত্বৰ দাবীৰ লগত সঙ্গতি ৰাখি এখন যোগ্যতাসম্পন্ন শক্তিশালী মন্ত্রী-সভা গঠন কৰা, কোনো ধৰণৰ সাম্প্রদায়িক অসন্তুষ্টি আৰু মনোভাৱক মূৰ দাঙিবলৈ সুবিধা নিদি সকলো শ্রেণীৰ মানুহৰ আস্থাভাজন এখন সমন্বয় সাধক মন্ত্রীসভা গঠন কৰা আৰু সততাৰ লগত যোগ্যতাৰ সমন্বয় স্থাপন কৰা। ওপৰৰ বিশ্লেষণটিত আমি যিমান দূৰ পাৰোঁ অসমৰ সকলো শ্রেণীৰ মানুহৰ চিন্তাধাৰাক প্রতিফলিত কৰিবলৈ চেষ্টা কৰিছোঁ। মুখ্যমন্ত্রীয়ে তেওঁৰ মন্ত্রীসভাৰ পুনৰ্বিন্যাস কৰিবৰ সময়ত এই কথাখিনি মনত ৰাখিলে ভাল হ'ব বুলি আমি ভাবোঁ।

উৎকৰ্ষৰ সাধনা

পঁচিশ বছৰৰ স্বাধীনতা, সাত হাজাৰ কোটি টকাৰ বৈদেশিক সাহায্য, চাৰিটা পঞ্চ-বাৰ্ষিকী পৰিকল্পনা আৰু ইন্দিৰা-মাৰ্কা সমাজবাদ — ইমানবোৰ ঘটনাৰ পিচতো ভাৰতৰ বিশ কোটি মানুহে আজিও সমস্ত জীৱন ধৰি এসাঁজো পেট ভৰাই খাবলৈ নাপায়। পৃথিৱীৰ দৰিদ্ৰম ৭৫ খন দেশৰ ভিতৰত ভাৰতৰ স্থান বাসত্তৰ নম্বৰত ঃ নিম্নতম স্থান পোৱা দেশ ঘানাৰ বাৰ্ষিক অৰ্থনৈতিক বৃদ্ধিৰ পৰিমাণ শতকৰা ০.৩ ভাগ, ইণ্ডোনেছিয়াৰ ০.৪ ভাগ, ইণ্ডুৰাচৰ ০.৯ ভাগ। ভাৰতৰ বাৰ্ষিক অৰ্থনৈতিক বৃদ্ধিৰ পৰিমাণ মাত্ৰ ১.৫ ভাগ। আনকি পাকিস্তানৰো অৰ্থনৈতিক বৃদ্ধিৰ পৰিমাণ আমাতকৈ বেছি ঃ শতকৰা ২.৬ ভাগ।

ভাৰতৰ এনে দুৰৱস্থাৰ কাৰণ কি? এই এটা প্ৰশ্ন — যাৰ উত্তৰত কোনো দুজন মানুহৰ মত একে হোৱাৰ আশা নাই। আনকি পৰিসংখ্যাৰ তথ্যপাতিও পথাৰৰ মাজৰ গছৰ নিচিনা এনে এটা বস্তু — যাক বিভিন্ন মানুহে নিজৰ নিজৰ বাট পোনাবৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। স্কল্ৰুলণ্ডে এনেয়ে কোৱা নাছিল ঃ 'মদপীয়ে লেম্প্ পোষ্টৰ ব্যৱহাৰ কৰে পোহৰ পাবৰ বাবে নহয়, খোপনি পুতিবলৈ আশ্ৰয় পাবৰ কাৰণেহে।' কোনো কোনো মানুহে পৰিসংখ্যাকো তেনেকৈয়ে ব্যৱহাৰ কৰে।

ভাৰতৰ আৰ্থিক দুৰ্দশাৰ কাৰণ বিশ্লেষণ কৰোঁতে দুজন মানুহৰ মত মিলক বা নিমিলক — প্ৰত্যেকটো মততেই যে কিছু পৰিমাণে সত্যতা থাকিব পাৰে সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। কিছুদিনৰ আগতে দুজন মানুহে একেখন মঞ্চতে এই সম্পৰ্কে নিজৰ নিজৰ মতামত ব্যক্ত কৰিবলৈ সুবিধা পাইছিল। মানুহ দুজনৰ এজন হ'ল শ্ৰীব্ৰজকুমাৰ নেহৰু ঃ প্ৰখ্যাত অৰ্থনীতিবিদ, কূটনীতিবিদ আৰু বৰ্তমান অসমৰ ৰাজ্যপাল। আনজন হ'ল শ্ৰীচিদাম্বৰম্ সুব্ৰমনিয়ম্ ঃ ৰাজনীতিবিদ আৰু প্ৰবীণ কেন্দ্ৰীয় মন্ত্ৰী। দুইজনৰে দৃষ্টি-ভঙ্গী আৰু অভিমত অতিশয় কৌতূহলোদ্দীপক।

শ্ৰীসুব্ৰমনিয়মৰ মূল বক্তব্য আছিল এয়েই যে ভাৰতৰ আৰ্থিক প্ৰগতি সন্তোষজনক হোৱা নাই, আৰু আমাৰ অৰ্থনৈতিক পৰিকল্পনাত নিশ্চয় এনে এটা কেৰোণ আছে — যাৰ ফলত সমাজত অৰ্থনৈতিক বৈষম্য অৰ্থাৎ ধনী-দুখীয়াৰ পাৰ্থক্য বৃদ্ধি পাইছে। এই অৰ্থনৈতিক বৈষম্যৰ প্ৰতিবাদ স্বৰূপেই গঢ়ি উঠিছে নক্সালবাদৰ নিচিনা উগ্ৰপন্থী ৰাজনৈতিক মতবাদ। অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ উপায় কি? শ্ৰীসুব্ৰমনিয়মৰ মতে তাৰ প্ৰধান উপায় হ'ল কৃষি আৰু উদ্যোগৰ ক্ষেত্ৰত ব্যাপকভাৱে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ।

আনহাতে শ্ৰীনেহৰুৱে দেশত ধনী-দুখীয়াৰ পাৰ্থক্য বৃদ্ধি হোৱা কথাটো স্বীকাৰ নকৰে। তেওঁৰ মতে এই কথা সঁচা যে যি গতিৰে দেশৰপৰা দাৰিদ্ৰ্য দূৰ হ'ব লাগিছিল সেই গতিৰে সি দূৰ হোৱা নাই; আমাৰ অৰ্থনৈতিক বিকাশৰ গতিবেগ অতি মন্থৰ হৈছে। কিন্তু তাৰ অৰ্থ এই নহয় যে দেশত ধনী আৰু দুখীয়াৰ পাৰ্থক্য বৃদ্ধি পাইছে। শ্ৰীসুব্ৰমনিয়মক উদ্দেশ্য কৰি তেওঁ কৈছিল ঃ 'মন্ত্ৰী ডাঙৰীয়া, ভাৰতত বাৰম্বাৰ এই কথা কৈ থকা হৈছে যে এই দেশত অৰ্থনৈতিক বৈষম্য বৃদ্ধি পাইছে। যোৱা কেইসপ্তাহমান ধৰি মই এই বিষয়টো সম্পৰ্কে নিজে কিছু গৱেষণা কৰিছোঁ। মোৰ গৱেষণাৰ কেঁচামাল হিচাবে যোজনা আয়োগৰ কিছু কাগজ-পত্ৰ মই ব্যৱহাৰ কৰিছোঁ, আৰু তাৰ ভিতৰত আপুনি নিজে দিয়া কিছু তথ্য-পাতিও আছে। আপুনি নিজে যদি সেইবোৰ কাগজ-পত্ৰ পঢ়ি চায়, তেতিয়া দেখিব যে এই তথ্য-পাতিবোৰে দেশত অৰ্থনৈতিক

বৈষম্য বৃদ্ধি হোৱাৰ কথা প্ৰমাণ নকৰে। তথ্য-পাতিৰ পৰা দেখা যায় যে দেশত খাদ্যৰ উৎপাদন বৃদ্ধি পাইছে, কাপোৰৰ উৎপাদন বৃদ্ধি পাইছে, অন্যান্য ভোগ্য-পণ্যৰ উৎপাদন বৃদ্ধি পাইছে। ধনীয়ে আগতে যিমান খাদ্য খাইছিল এতিয়া তাতকৈ বেছি খাব নোৱাৰে। তেন্তে এই অতিৰিক্ত উৎপাদন হোৱা খাদ্যবোৰ ক'লৈ গ'ল? কাপোৰবোৰ ক'লৈ গ'ল? মই ভাবোঁ যে দেশত অৰ্থনৈতিক বৈষম্য বৃদ্ধি পোৱা নাই; অৱশ্যে দাৰিদ্ৰ্য এতিয়াও আছে, আৰু দাৰিদ্ৰ্য দূৰীকৰণৰ গতিবেগ অতি মন্থৰ হৈছে।'

দাৰিদ্ৰ্য দূৰীকৰণৰ গতিবেগ কিছু মন্থৰ হৈছে সেই সম্পৰ্কেও শ্ৰীনেহৰুৰ নিজৰ বক্তব্য আছে। ১৯৫৭ চনত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ অৰ্থনীতি সচিব আছিল; তাৰ পাচত তেওঁ একাদিক্ৰমে বহু বছৰ ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰত ভাৰতৰ অৰ্থনৈতিক আয়ুক্ত আৰু ৰাষ্ট্ৰদূত হৈ আছিল। ভাৰতে বিভিন্ন ৰাষ্ট্ৰ আৰু বিশ্ব বেঙ্কৰপৰা যি কেইবা হাজাৰ কোটি টকাৰ বিত্তীয় সাহায্য পাইছিল তাৰ মূলতে ঘাইকৈ আছিল শ্ৰীনেহৰুৰ একক প্ৰচেষ্টা। শ্ৰীনেহৰুৰ মতে দ্বিতীয় মহাযুদ্ধৰ শেষত ভাৰতে বৃটিচ চৰকাৰৰ পৰা পাওনা হিচাবে পাইছিল ১৩০ কোটি ষ্টাৰ্লিং। পাকিস্তানক তাৰ কিছু ভাগ দিয়াৰ পিচতো ভাৰতে নিজৰ ভাগত যিখিনি ধন পাইছিল, সেইখিনিকে হিচাব কৰি আৰু সু-পৰিকল্পিতভাৱে খৰচ কৰা হ'লে বহু বছৰৰ কাৰণে ভাৰতে ভালকৈ খাই-লৈ থাকিব পাৰিলেহেঁতেন আৰু আৰ্থিক উন্নয়নৰ কাৰণেও বিদেশৰপৰা প্ৰয়োজনীয় সকলো সামগ্ৰী কিনিব পাৰিলেহেঁতেন। কিন্তু সেই গোটেইখিনি ধন ভাৰত চৰকাৰে ধোঁৱা-খোলিয়াকৈ খৰচ কৰি শেষ কৰি পেলালে, আৰু ১৯৫৭ চনত ভাৰতৰ ৰাজকোষৰ তলি সম্পূৰ্ণৰূপে উদং হৈ পৰিল।

তাৰ পিচৰপৰাই ভাৰতে আৰম্ভ কৰিলে ভিক্ষা-বৃত্তি। হিচাব কৰি দেখা গ'ল যে দহ বছৰৰ কাৰণে ভাৰতক ১০০০ কোটি ডলাৰ লাগে, আৰু এইখিনি ধন পালেই ভাৰতে দহ বছৰৰ অন্তত অৰ্থনৈতিক ক্ষেত্ৰত স্বাৱলম্বী হ'ব পাৰিব। কাৰ্য্যক্ষেত্ৰত ভাৰতে ১০০০ কোটি ডলাৰতকৈ বেছিহে ধন পালে; কিন্তু দহ বছৰৰ ঠাইত এতিয়া পোন্ধৰ বছৰ পাৰ হৈ গ'ল, অথচ দেশে অৰ্থনৈতিক স্বাৱলম্বিতা অৰ্জন কৰাৰ কোনো লক্ষণেই এতিয়ালৈকে চকুত পৰা নাই। (চলিত বছৰৰ আৰম্ভণিতে ভাৰত চৰকাৰে সদম্ভে ঘোষণা কৰিছিল যে খাদ্যৰ কাৰণে ভাৰতে বিদেশৰ ওপৰত নিৰ্ভৰ কৰাৰ দিন শেষ হৈ গৈছে; এই বছৰৰপৰা ভাৰতে আৰু বিদেশৰপৰা খাদ্য-সামগ্ৰী আমদানী নকৰে। কিন্তু মাত্ৰ দুসপ্তাহৰ আগতে ভাৰত চৰকাৰে ঘোষণা কৰিছে যে ভাৰতে নতুনকৈ ২০ লাখ টন খাদ্যদ্ৰব্য আমদানী কৰিব লাগিব।)

ভাৰতৰ এই বিৰাট অৰ্থনৈতিক ব্যৰ্থতাৰ কাৰণ কি? ইয়াৰ প্ৰতিকাৰৰ উপায় কি? শ্ৰীসুব্ৰহ্মণিয়মে ক'ব খোজে যে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ব্যাপক প্ৰয়োগ কৰিলেই উদ্যোগ আৰু কৃষিৰ ক্ষেত্ৰত উৎপাদন বৃদ্ধি পাব; ফলস্বৰূপে দেশৰপৰা দাৰিদ্ৰ্য দূৰীভূত হ'ব। কিন্তু শ্ৰীনেহৰু সেই কথাত একমত নহয়। তেওঁৰ মতে This is not question of application of science and technology; it is not a question of the organisation of production – অৰ্থাৎ ই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ প্ৰশ্ন নহয়, ই হ'ল উৎপাদন ব্যৱস্থাক দক্ষতাৰে সৈতে সংগঠিত কৰাৰ প্ৰশ্ন।

শ্ৰীনেহৰুৱে বহলাই নক'লেও তেওঁৰ কথাৰপৰা পৰিষ্কাৰভাৱে বুজিব পৰি যে তেওঁৰ মতে আমাৰ অৰ্থনৈতিক দুৰৱস্থাৰ এটা প্ৰধান কাৰণ হ'ল দেশৰ সৰ্বক্ষেত্ৰত আৰু সৰ্বস্তৰত কাৰ্য্য-দক্ষতাৰ অভাৱ। তেওঁ তাৰ এটা উদাহৰণো দিছে। তেওঁ কৈছে : 'মাত্ৰ কেইসপ্তাহমানৰ আগতে এজন কেন্দ্ৰীয় মন্ত্ৰীয়ে মোক ক'লে যে চৰকাৰী অনুমতি-পত্ৰ দিয়াৰ প্ৰথা অতি কাৰ্য্যদক্ষ আৰু টনকিয়াল কৰি তোলা হ'ব। মই এই কথাত সম্পূৰ্ণ পতিয়ন নগ'লোঁ, কাৰণ যোৱা কুৰিবছৰ ধৰি মই এই একেষাৰ কথা শুনি আহিছোঁ। মন্ত্ৰীয়ে মোক কথাষাৰ কোৱাৰ একেদিনাই আবেলি পৰত মই এজন প্ৰতিভাশালী ডেকা উদ্যোগপতিক লগ

পালোঁ। মই তেওঁক ক'লোঁ যে মই সম্পূৰ্ণ বিশ্বাসযোগ্য কৰ্তৃত্বশীল মহলৰপৰা শুনা মতে ঔদ্যোগিক অনুমতি-পত্ৰ পোৱাৰ ক্ষেত্ৰত থকা সকলো বেমেজালি আৰু দীৰ্ঘ-সূত্ৰিতা দূৰ কৰা হৈছে। তেওঁ মোক ক'লে যে তেনেকুৱা কোনো ঘটনাই ঘটা নাই, আৰু তাৰ প্ৰমাণ স্বৰূপে অতি সযতনে প্ৰস্তুত কৰা এখন 'PERT' চাৰ্ট মোলৈ পঠাই দিলে। সেইখন চাই মই দেখিলোঁ যে এটা সাৰ-কাৰখানা নিৰ্মাণ কৰিবৰ কাৰণে তেওঁ বিচৰা অনুমতি-পত্ৰখন পাবলৈ তেওঁৰ মুঠতে সময় লাগিছে ২৭ মাহ। ২৭ মাহৰ পৰিবৰ্তে ৬ সপ্তাহৰ ভিতৰতে অনুমতি পত্ৰখন পোৱা হ'লে দেশত সাৰ উৎপাদন নিশ্চয় যথাসময়ত যথোচিতভাৱে বৃদ্ধি পালেহেঁতেন, আৰু ফলত বৈদেশিক সাহায্য বন্ধ হোৱাৰ ফলত সৃষ্টি হোৱা অসুবিধাবোৰৰপৰা দেশে হাত সাৰি থাকিব পাৰিলেহেঁতেন।'

শ্ৰীনেহৰু খুব সম্ভৱ সমাজবাদী নহয়। তেওঁৰ অৰ্থনৈতিক দৰ্শন প্ৰগতিবাদীসকলৰ কাৰণে গ্ৰহণযোগ্য হ'ব বুলি আমি কেতিয়াও নাভাবোঁ। কিন্তু তেওঁ ভাৰতৰ মন্থৰ অৰ্থনৈতিক বিকাশৰ যিবোৰ কাৰণ নিৰ্ণয় কৰিছে সেইবোৰ প্ৰতিক্ৰিয়াশীল ওকালতি বুলি হাঁহি উৰুৱাই দিলে আমি নিজেহে বোধহয় হাঁহিয়াতৰ পাত্ৰ হ'ম। মনত ৰখা উচিত যে সাম্যবাদী দেশতো মানুহে অযোগ্যতা বা অকৰ্মণ্যতাৰ কাৰণে শাস্তি ভুগিব লগা হয়। প্ৰচলিত সমাজ-ব্যৱস্থাই যে দাৰিদ্ৰ্য আৰু শোষণক অব্যাহত ৰাখিছে সেই বিষয়ে নিশ্চয় কোনো সন্দেহৰ অৱকাশ নাই। কিন্তু 'যত দোষ নন্দ ঘোষ' বুলি কেৱল অৰ্থনৈতিক কু-ব্যৱস্থাৰ দোহাই দি নিজৰ অযোগ্যতা আৰু অকৰ্মণ্যতাক ঢাকি ৰাখিবলৈ চেষ্টা কৰিলে তাৰ পৰিণাম নিশ্চয় মাৰাত্মক হ'ব। স্বীকাৰ কৰি লোৱা ভাল যে বেছিভাগ চৰকাৰী প্ৰচেষ্টা, চৰকাৰী ব্যৱসায় আৰু চৰকাৰী উদ্যোগৰ বিফলতাৰ এটা প্ৰধান কাৰণ হ'ল ভাৰতীয় মানুহৰ কাৰ্য্যদক্ষতা আৰু সামাজিক আনুগত্যৰ শোচনীয় অভাৱ। আমি সকলো কৰোঁ, আৱশ্যক প্ৰয়োজন হ'লে সমাজবাদীও হওঁ, কিন্তু কাৰ্য্যদক্ষতা বৃদ্ধি কৰিবলৈ মৰিলেও চেষ্টা নকৰোঁ। 'Pursuit of excellence' বা উৎকৰ্ষৰ সাধনা ভাৰতীয় চৰিত্ৰৰ কাৰণে সম্পূৰ্ণ অচিনাকি বস্তুত পৰিণত হৈছে। সমাজ-ব্যৱস্থা যিয়েই নহওক, চূড়ান্ত বিচাৰত যিকোনো কৃতকাৰ্য্যতা ঘাইকৈ নিৰ্ভৰ কৰিব ব্যক্তি বা সমাজৰ কাৰ্য্যদক্ষতাৰ ওপৰত। আমি আমাৰ সমস্ত ব্যৰ্থতাৰ কাৰণে নানা অজুহাত বিচাৰি ফুৰোঁ, কিন্তু কাৰ্য্যদক্ষতাৰ অভাৱো যে তাৰ এটা অন্যতম কাৰণ হ'ব পাৰে সেই কথা ভুলতো স্বীকাৰ নকৰোঁ। এই আত্ম-প্ৰতাৰণা সৰ্বনাশৰ ইঙ্গিত। অসমৰ নতুন নেতাসকলে নিজৰ প্ৰত্যেকটো ব্যৰ্থতাৰ কাৰণে সমস্ত দোষ জাপি দিবলৈ প্ৰয়াস কৰিছে 'ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তি'ৰ চক্ৰান্তৰ ওপৰত। এই চক্ৰান্ত নিশ্চয় আছে। কিন্তু চৰকাৰে যোগান ধৰা সৰিয়হৰ সঁচ যদি নগজে, বা ভঙা ট্ৰেক্টৰ যদি অচল হৈ পৰি থাকে, বা পাৱাৰ পাম্প যদি ঠিক সময়ত খেতিয়কে ৰাইজে নাপায়; তাকো কি 'ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তি'ৰ চক্ৰান্তৰেই পৰিণাম বুলি ধৰি ল'ব লাগিব? বিপদৰ সময়ত মন্ত্ৰীয়ে যদি ৰাইজক মাত এষাৰ দিবলৈ নাযায়, সিও, কি 'ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তি'ৰ ধমকৰ ভয়ত? চৰকাৰে যদি খোজে প্ৰতি ভুল সিদ্ধান্ত লয় আৰু কথাই কথাই ভুল তথ্য-পাতি আওৰায়, সিও কি 'ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তি'ৰ শিকনিৰ ফলত?

'ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তি'ৰ হৰিনাম বহুত শুনা হ'ল; এতিয়া ক'বৰ মন গৈছে : Thus far and no further। অসমত কাৰ্য্যদক্ষতাৰ ভীষণ অভাৱ হৈছে, বিশেষকৈ মন্ত্ৰীসকলৰ মাজত। মন্ত্ৰীসকল প্ৰগতিবাদী হওক, সমাজবাদী হওক, লগতে অকণমান কাৰ্য্যদক্ষও হওক; তেতিয়াহে দেশ ৰক্ষা পৰিব। কিন্তু অযোগ্যতা ঢাকিবৰ বাবে কথাই কথাই 'ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তি'ৰ চক্ৰান্তৰ দোহাই দিয়াটো অসমৰ নতুন নেতাসকলৰ কাৰণে এটা ৰমনোদ্ৰেককাৰী অভ্যাসত পৰিণত হৈছে।

‘বেয়াৰ-ফুট্ ডক্তৰ্’

বিলাতৰ স্বাস্থ্য-অৰ্থনীতি বিভাগৰ কাৰ্য্যালয়ে অলপতে মন্তব্য কৰিছে যে পৃথিৱীৰ দৰিদ্ৰ দেশবোৰৰ কাৰণে পশ্চিমীয়া চিকিৎসা পদ্ধতি সমুলি উপযোগী নহয়, আৰু উন্নয়নশীল দেশবোৰে আমেৰিকা বা বিলাতৰ নিচিনা দেশক অনুকৰণ নকৰি এই ক্ষেত্ৰত চীনৰ আৰ্হি অনুসৰণ কৰা উচিত।

চীনৰ আৰ্হিটোনো কি? স্বাস্থ্য-সেৱাৰ ক্ষেত্ৰত চীনে অনুসৰণ কৰা আদৰ্শক অৱশ্যে সেই দেশৰ সামাজিক পুনৰ্বিন্যাসৰ সামগ্ৰিক আঁচনিৰপৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি। এচিয়াৰ ভূ-খণ্ডক ঘাইকৈ দুটা ভাগত ভাগ কৰিব পাৰি; এভাগ হ'ল কমিউনিষ্ট আৰু আনভাগ অকমিউনিষ্ট। অকমিউনিষ্ট এচিয়াৰ বেছিভাগ দেশেই এসময়ত ইউৰোপীয় শক্তিসমূহৰ উপনিবেশ বা অৰ্ধ-উপনিবেশ আছিল। স্বাধীনতা লাভ কৰাৰ পিচতো এইবোৰ দেশে সাংস্কৃতিক ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা লাভ কৰিব পৰা নাই। এইবোৰ দেশৰ শিক্ষা আৰু সংস্কৃতি প্ৰায় সম্পূৰ্ণভাৱেই ইউৰোপ-আমেৰিকাৰ আৰ্হিত গঢ় লৈ উঠিছে। থলুৱা ঐতিহ্য আৰু থলুৱা বাস্তৱ অৱস্থাৰ লগত খাপ খুৱাই এচিয়াৰ অকমিউনিষ্ট দেশসমূহে শিক্ষা, কৃষি আৰু উদ্যোগ আদি কোনো ক্ষেত্ৰতে নতুন মৌলিক নীতি উদ্ভাৱন কৰি ল'ব পৰা নাই। থলুৱা বাস্তৱ অৱস্থাৰ লগত খাপ নোখোৱা পশ্চিমীয়া আদৰ্শ আৰু কাৰ্য্য-পদ্ধতি অন্ধভাৱে অনুসৰণ কৰাৰ ফলত এইবোৰ দেশৰ ৰুগ্ন সমাজ-দেহত এতিয়াও নতুন প্ৰাণ-সঞ্চাৰ হ'ব পৰা নাই। আনহাতে, এচিয়াৰ সকলো দেশৰ ভিতৰত একমাত্ৰ চীনদেশেই অন্ততঃ শিক্ষাৰ এটা সম্পূৰ্ণ নতুন আৰু মৌলিক নীতি উদ্ভাৱন কৰি ল'বলৈ সমৰ্থ হৈছে। চীনৰ সেই শিক্ষা-নীতিৰ অন্যতম প্ৰধান লক্ষ্য হ'ল সেই দেশৰ বিপুল জন-শক্তিৰ সদ্ব্যৱহাৰ। চীনে উপলব্ধি কৰিছে যে সেই দেশৰ কোটি কোটি মানুহ গাঁৱত বাস কৰে, আৰু চীনৰ সমাজ-ব্যৱস্থা ঘাইকৈ গ্ৰাম্য সমাজ-ব্যৱস্থা। শতকৰা ৯০ জনতকৈ অধিক মানুহ বাস কৰা এই বিৰাট গ্ৰাম্য অঞ্চলক পুনৰ-সঞ্জীৱিত কৰি তুলিব নোৱাৰিলে চীন দেশৰ প্ৰকৃত উন্নতি অসম্ভৱ। সেই কাৰণে তেওঁলোকে সামাজিক পুনৰ্নিৰ্মাণৰ বেছি ভাগ শক্তি আৰু মনোযোগ কেন্দ্ৰীভূত কৰিছে গ্ৰাম্য অঞ্চলত। বেছিভাগ উদ্যোগ চহৰত বা তাৰ আশে-পাশে কেন্দ্ৰীভূত নকৰি তেওঁলোকে দূৰ-দুৰান্তৰৰ গাওঁবোৰত সিঁচৰতি কৰি দিছে; সেইদৰে চহৰৰ বহি খোৱা শিক্ষিত মানুহবোৰকো অলস জীৱন যাপন কৰিবলৈ সুবিধা নিদি গাঁৱত কাম কৰিবলৈ যাবলৈ বাধ্য কৰোৱা হৈছে। ছাত্ৰ, শিক্ষক, ৰাজনৈতিক কৰ্মী, বুদ্ধিজীৱী, কাৰখানাৰ শ্ৰমিক — এই সকলোকে চহৰত থুপ খাবলৈ সুবিধা নিদি দলে দলে গাঁৱলৈ পঠোৱা হৈছে — যাতে তেওঁলোকে গাঁৱলীয়া মানুহৰ লগত কান্ধত কান্ধ মিলাই উৎপাদন-ক্ষম কামত আত্ম-নিয়োগ কৰিব পাৰে, আৰু লগতে শাৰীৰিক শ্ৰমৰ মৰ্যাদাও শিকিব পাৰে। উন্নয়নশীল দেশসমূহৰ প্ৰধান সমস্যা হ'ল চহৰমুখী প্ৰব্ৰজন, অৰ্থাৎ মানুহে কৰ্ম-সংস্থান আৰু উন্নত জীৱন ধাৰণৰ সন্ধানত গাঁও এৰি চহৰলৈ আহে। কিন্তু চীনে প্ৰব্ৰজনৰ এই সোঁতটো বিপৰীত-মুখী কৰি দিছে।

চীনৰ সৰ্বাত্মকতা-বাদী ৰাষ্ট্ৰ-ব্যৱস্থাত যিটো কাম সহজে সম্ভৱ, এচিয়াৰ অন্যান্য দেশবোৰত সি সম্ভৱ নহ'বও পাৰে। কিন্তু চীনে কৰা সকলো কামেই অন্যান্য দেশবোৰৰ অসাধ্য নহয়। বিশেষকৈ চিকিৎসা-বিদ্যা আৰু স্বাস্থ্য-সেৱাৰ ক্ষেত্ৰত চীনে যি আদৰ্শ নীতি অনুসৰণ কৰিছে — পৃথিৱীৰ সকলো দৰিদ্ৰ দেশেই সেইটো আৰ্হি হিচাবে অনুসৰণ কৰা উচিত। চীনে উপলব্ধি কৰিছে যে সেই দেশৰ কোটি কোটি গাঁওবাসী ৰাইজৰ

কাৰণে কম সময়ৰ ভিতৰতে যথেষ্ট সংখ্যক উচ্চ-শিক্ষিত ডাক্তৰ সৃষ্টি কৰি উলিওৱাটো সম্ভৱ নহয়; তদুপৰি ধান পকে মানে টুনীৰ মৰণ হোৱাৰ দৰে দীৰ্ঘ সময়-সাপেক্ষ চিকিৎসা-বিদ্যা সমাপ্ত কৰি ডাক্তৰ ওলাই মানে গাঁওবাসী ৰাইজৰ প্ৰাণান্ত হোৱাৰ অৱস্থা হ'ব। তদুপৰি সৰ্বসাধাৰণ ৰাইজৰ কাৰণে উচ্চ-শিক্ষিত বিশেষজ্ঞ ডাক্তৰতকৈ সাধাৰণ মৌলিক ৰোগবোৰৰ চিকিৎসা কৰিব পৰা সাধাৰণ চিকিৎসকহে বেছি প্ৰয়োজন। এই মূল সত্যটো মনত ৰাখি চীন দেশে চিকিৎসা বিদ্যাৰ এটা সংক্ষিপ্ত পাঠ্য-ক্ৰমৰ উদ্ভাৱন কৰিছে। এই তিনিবছৰীয়া সংক্ষিপ্ত পাঠ্যক্ৰম প্ৰবৰ্তন কৰি তেওঁলোকে কম সময়ৰ ভিতৰতে লাখ লাখ সাধাৰণ চিকিৎসক সৃষ্টি কৰিছে, আৰু এই চিকিৎসকসকলক দলে দলে গাঁৱলৈ পঠোৱা হৈছে। খালী ভৰি গাঁৱে গাঁৱে ঘূৰি ফুৰি সাধাৰণ গাঁৱলীয়া ৰাইজৰ লগত একাত্ম হৈ তেওঁলোকক স্বাস্থ্য-সেবা আৰু চিকিৎসাৰ যোগান ধৰা এই চিকিৎকসকল bare-foot doctors নামেৰে আজি সমগ্ৰ পৃথিবীতে বিখ্যাত হৈ পৰিছে। এই bare-foot doctors সকলে (জোতা নিপিন্ধা ডাক্তৰ) চীনৰ স্বাস্থ্য-সেবাৰ ক্ষেত্ৰত যুগান্তৰ আনিছে।

বিলাতৰ স্বাস্থ্য-অৰ্থনীতি বিভাগে এচিয়াৰ দৰিদ্ৰ দেশবোৰক চীনৰ এই আৰ্হিটোক অনুসৰণ কৰিবলৈ পৰামৰ্শ দিছে। ভাৰতৰ নিচিনা দেশবোৰৰ গাঁৱলীয়া অঞ্চলত চিকিৎসা-ব্যৱস্থাৰ অভাৱ কিমান ভয়াবহ, সেই কথা ভুক্তভোগীৰ বাহিৰে আন কোনেও কল্পনা কৰিব নোৱাৰে। দেশৰ আৰ্থিক উন্নয়নৰ লগত স্বাস্থ্য-সেবা আৰু চিকিৎসা-ব্যৱস্থা অঙ্গাঙ্গীভাৱে জড়িত; কাৰণ ৰোগে মানুহৰ শ্ৰম-শক্তি হ্ৰাস কৰি দিয়ে আৰু ফল স্বৰূপে সকলো ক্ষেত্ৰতে উৎপাদন হ্ৰাস পায়। সেই কাৰণে আধুনিক পৰিকল্পিত অৰ্থনীতিত স্বাস্থ্য-সেৱাক এটা মুখ্য স্থান দিয়া হয়। কিন্তু ভাৰতৰ নিচিনা দেশত নীতিগতভাৱে এই কথা মানি ল'লেও কাৰ্য্যক্ষেত্ৰত বিশেষ একো কৰা হোৱা নাই। আমাৰ দেশত চিকিৎসা-বিদ্যা আৰু স্বাস্থ্য সেবাৰ প্ৰধান লক্ষ্য হ'ল মুষ্টিমেয় চহৰসমূহ আৰু বিত্তবান সম্প্ৰদায়; যিসকল খেতিয়ক আৰু শ্ৰমিকৰ হাড় ভঙা শ্ৰমৰ ওপৰত দেশৰ অৰ্থ-নীতি প্ৰধানকৈ নিৰ্ভৰশীল, সেই খেতিয়ক সমাজ বাস কৰা গাঁৱলীয়া অঞ্চল স্বাস্থ্য-সেবাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে উপেক্ষিত। আমাৰ চিকিৎসা-বিদ্যাৰ গাঁথনিও এনেকুৱা যে কোনো ডাক্তৰেই চহৰ এৰি গাঁৱলৈ যাব নোখোজে; দুই-একজন গাঁৱলৈ নিব লগা হ'লেও অনেক সাধ্য-সাধনা কৰি আৰু প্ৰলোভন দেখুৱাইহে নিব পাৰি। এই অৱস্থাৰ অৱসান হোৱাৰ দৰকাৰ। তাকে কৰিবলৈ হ'লে বৰ্তমানৰ চিকিৎসা-বিদ্যাৰ আমূল-পৰিবৰ্তন ঘটাই আৰু সংক্ষিপ্ত পাঠ্য-ক্ৰমৰ প্ৰবৰ্তন কৰি এনে এদল সাধাৰণ চিকিৎসক সৃষ্টি কৰাৰ ব্যৱস্থা কৰিব লাগিব যাতে তেওঁলোকে গাঁৱলৈ গৈ গাঁৱৰ দুখীয়া মানুহক সস্তীয়া আৰু সহজ-লভ্য চিকিৎসাৰ যোগান ধৰিব পাৰিব। আন কথাত ক'বলৈ গ'লে চীনৰ bare-foot doctors সকলৰ এটা ভাৰতীয় সংস্কৰণ সৃষ্টি কৰিব লাগিব। বিলাতৰ স্বাস্থ্য-অৰ্থনীতি বিভাগে এই পৰামৰ্শও দিছে যে দৰিদ্ৰ দেশবোৰৰ মুষ্টিমেয় চহৰবোৰত যি খৰচেৰে একোখন বিৰাট আৰু ব্যয়-সাধ্য চিকিৎসা কেন্দ্ৰ স্থাপন কৰা হয়, ঠিক সেই একে খৰচেৰে গাঁৱলীয়া অঞ্চলৰ কাৰণে এশটা চিকিৎসা-কেন্দ্ৰ স্থাপন কৰিব পাৰি। আমাৰ দেশৰ চিকিৎসা-ব্যৱস্থাই কেৱল এমুঠি চহৰবাসী বিত্তবান মানুহকহে সহায় কৰিছে; কোটি কোটি দৰিদ্ৰ শ্ৰম-জীৱী মানুহৰ কাৰণে সস্তীয়া স্বাস্থ্য-সেবাৰ ব্যৱস্থা কৰিবলৈ এই ব্যৱস্থাৰ আমূল পুনৰ্বিন্যাস কৰা নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে।

সাপ্তাহিক নীলাচল, ২০৯ সংখ্যা : ৬ ডিচেম্বৰ, ১৯৭২

শৰৎ সিংহ মন্ত্রী-সভাৰ 'দুৰ্নীতি বিৰোধী ভাৱমূৰ্তি'!

সাপ্তাহিক নীলাচলৰ ১৫ নৱেম্বৰ সংখ্যা কাকতৰ সম্পাদকীয়ত আপুনি লিখিছে "বেছিভাগ মন্ত্রী নতুন বুলিয়েই হওক বা শ্ৰীশৰৎ সিংহৰ ব্যক্তিত্বৰ কাৰণেই হওক, এই মন্ত্রীসভাখন সাধাৰণভাৱে দুৰ্নীতি-বিৰোধী বুলি জনমানসত তেওঁলোকৰ এটা বিশেষ ভাব-মূৰ্তি আছে।" মোৰ প্ৰশ্ন — এই কথা কিমানদূৰ সঁচা? সঁচা বুলি ভাবিয়েই আপুনিও লিখিছেনে বাৰু?

অসম বিধান সভাৰ যোৱা নিৰ্বাচনৰ সময়ত এজন ৰাজ্যিক মন্ত্রীৰ (বৰ্তমান কেবিনেট পৰ্য্যায়ৰ মন্ত্রী) ওপৰত ডিব্ৰুগড় জিলাৰ অন্যতম ধনী মদৰ মহলদাৰজনৰ প্ৰভাৱৰ কথা আমি মুকলিকৈ সমালোচনা কৰিছিলোঁ। কিন্তু আমাৰ সমালোচনাৰ উত্তৰত কংগ্ৰেছ-প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ-পত্ৰত ডিব্ৰুগড় জিলাৰ বহুতো মদৰ মহলৰ বেনামী মালিকজনৰ 'ইন্দিৰা গান্ধীৰ সমাজবাদী আদৰ্শৰ প্ৰতি আনুগত্য'ৰ শলাগ লোৱা হৈছিল। আপোনাৰ বিশ্বাস নহ'লে প্ৰচাৰ-পত্ৰখন দেখুৱাব পাৰিম, আমাৰ হাতত আছে। সেই ধনী মহলদাৰজনৰ বেনামী মহলৰ সংখ্যা এতিয়াও কমা নাই।

নিৰ্বাচনত বিপুল ভোটাধিক্যত অসমত কংগ্ৰেছৰ জয়লাভ আৰু শ্ৰীশৰৎ সিংহৰ নেতৃত্বত নতুন চৰকাৰ গঠনৰ পিচত আমি জনাত অসমত দুৰ্নীতি কমা নাই। অৱশ্যে অসমৰ দুৰ্নীতি ভাৰত জুৰি চলা দুৰ্নীতিৰ এটা অংশ বুলি আত্মতৃপ্তি লভিব পাৰোঁ। যুৱক কংগ্ৰেছৰ নামত নিৰ্বাচনত কংগ্ৰেছৰ হৈ কাম কৰা ডেকাসকলক ডিগবৈৰ মমৰ ক'টা (পেৰাফিন বাস্ক) আগৰ দৰেই বিলোৱা হৈছে; অৱশ্যে বহুবোৰ পাৰ্মিট বিতৰণ হোৱাৰ কাৰণে ক'লাবজাৰত দাম কমিছে। যোগান মন্ত্রীৰ সৌজন্যত মোৰ নিজ চহৰতে কংগ্ৰেছৰ নিৰ্বাচনৰ বতৰৰ 'বিশিষ্ট কৰ্মী'য়ে হেজাৰ হেজাৰ বস্তাকৈ 'গেহুৰ বাকলি'ৰ পাৰ্মিট বেছি থাউকতে ৪ হাজাৰ টকাকৈ ঘটা বুলি শুনিছোঁ; বাংলাদেশৰপৰা আহিবলগীয়া মাছৰ একচেটিয়া ব্যৱসায়ৰ কাৰণেও এনেবিলাক 'বিশিষ্ট কৰ্মী'ৰ নাম ইতিমধ্যে অনুমোদন কৰি পঠোৱা হৈছে। প্লাইউড্ উদ্যোগৰ মালিকসকলে (বিৰলা গোষ্ঠীৰ দ্বাৰা নিয়ন্ত্রিত) চাহৰ বাকচৰ কাৰণে আৱশ্যকীয় ভেনেস্তা উৎপাদনৰ নামত অসম চৰকাৰৰপৰা কম 'ৰয়েল্টি'ত কাঠ লৈ 'কমাৰ্চিয়েল প্লাইউড্' তৈয়াৰ কৰি অত্যধিক লাভ কৰা আগৰ দৰেই চলি আছে। হয়তো গুৱাহাটী-তিনিচুকীয়াৰ আগৰ কোনোবা সৌভাগ্যবান ব্যৱসায়ীয়ে ওপৰ মহলৰ ঘনিষ্ঠতা হেৰুৱাইছে, তাৰ ঠাইত নতুন লোক ঘনিষ্ঠ হৈ উঠিছে। পাৰ্থক্য এইখিনিতে। নতুন বটলত পুৰণি মদ।

জনৈক পাঞ্জাবী ভদ্ৰলোক আগতে কলিকতাত কেন্দ্রীয় খনি আৰু ইস্পাত মন্ত্রালয়ৰ এজন বিষয়া হৈ থাকোঁতে তেওঁৰ বিৰুদ্ধে দুৰ্নীতিৰ বহুবোৰ অভিযোগ উঠিছিল। এতিয়া কিন্তু অসম চৰকাৰৰ আটাইতকৈ প্ৰিয় ঠিকাদাৰ তেৱেঁই। তেওঁ ইতিমধ্যে চন্দ্ৰপুৰত 'অসম ষ্টেট্ ইলেকট্ৰিচিটি ব'ৰ্ড'ক কেবালাখ টকাৰ বয়-বস্তু যোগান ধৰিছে। গুৱাহাটীত কেন্দ্রীয় পৰ্য্যটন মন্ত্রালয়ৰ অনুদানেৰে সাজিবলৈ লোৱা 'টুৰিষ্ট লজ'টোৰ ঠিকা তেখেতেই পাইছে; তাৰ এষ্টিমেট হেনো ৬.৫ লাখ টকাৰ পৰা ৮ লাখ টকালৈ বাঢ়িছে। যোৰহাটত 'অসম ৰোড ট্ৰেন্সপ'ৰ্ট কৰ্পবেচন'ৰ প্ৰস্তাৱিত ভৱন নিৰ্মাণৰ প্ৰায় ১৮ লাখ টকাৰ ঠিকাও বোলে তেওঁৰেই। এই দুয়োটা কামৰ প্লেন যি 'আৰ্কিটেক্ট ফাৰ্মে' কৰিছে তাৰ অংশীদাৰ কোনো মন্ত্রী-পুতেক; কথাটো সঁচানে?

শেহত আহোঁ দিল্লীত ৩ নবেম্বৰৰপৰা আৰম্ভ হোৱা ‘এচিয়া —৭২’ প্ৰদৰ্শনীৰ ‘অসম পেভিলিয়ন’লৈ। এই পেভিলিয়নত বোলে অসম চৰকাৰৰ মুঠ খৰচ ১০ লাখ ৭০ হাজাৰ টকা। মেঘালয় আৰু মণিপুৰৰ সৰু পেভিলিয়ন কিখনো অসম পেভিলিয়নৰে অঙ্গ। ইয়াৰ যাৱতীয় কামৰ দায়িত্ব ওপৰত উল্লেখ কৰা ঠিকাদাৰজনৰ। আনকি ১২ গৰাকী ৰিচিপ্‌চনিষ্টৰ ৭ গৰাকী বোলে তেৱেঁই নিয়োগ কৰিছে; বাকী ৫ গৰাকী অসমৰ মন্ত্ৰী-বিষয়াই। দিল্লী অসমৰপৰা বহুত দূৰৈত; অসমবাসী দিল্লীত থকা মানুহ বা অসমৰপৰা ইয়ালৈ ফুৰিবলৈ অহা মানুহৰ সংখ্যা আন ৰাজ্যৰ তুলনাত নিচেই কম। সেই সুবিধাতে বোধকৰোঁ চূড়ান্ত দুৰ্নীতি হৈছে। পেভিলিয়নখন যেয়েই চাইছে সেয়েই ক’ব, অসমৰ এম. পি. সকলকে ধৰি ইতিমধ্যে বহুতে কোৱা-মেলা কৰিছেও, যে এই পেভিলিয়নত ৫ লাখ টকাৰ বেছি খৰচ হোৱা নাই। বাকীবোৰ টকা ক’লৈ গ’ল? এই দুৰ্নীতিৰ তদন্ত হোৱা উচিত। আপুনিও দাবী কৰিবনে? এই দুৰ্নীতিত অসম চৰকাৰৰ কেইবাটাও দপ্তৰৰ বৰমূৰীয়া বিষয়াসকলেই কেৱল লিপ্তনে? মুখ্যমন্ত্ৰী ডাঙৰীয়াই জানো একো নাজানে? ২৪ তাৰিখে ৰাতি উক্ত ঠিকাদাৰজনৰ উপস্থিতিত দিল্লীৰ ‘অসম হাউচ’ত ‘ককটেল্ পাৰ্টি’ হৈছিল। পাৰ্টিত দিল্লীত থকা অসম চৰকাৰৰ ভালেকিজন অফিচাৰ উপস্থিত আছিল। মুখ্যমন্ত্ৰী অৱশ্যে আগদিনাৰপৰাই আছেহি। ‘অসম হাউচ’ৰ তেখেতৰ নিৰ্দিষ্ট কোঠাত। ঠিকাদাৰজনে তেখেতক বেলেগে লগো ধৰিছিল। ‘অসম হাউচ’ৰ দেৱাল আৰু দুৱাৰ-খিৰিকীবোৰে বহুতো গোপন লেনদেনৰ কথা ফুচফুচকৈ কয়।

সাপ্তাহিক নীলাচল, ২১০ সংখ্যা : ১৩ ডিচেম্বৰ, ১৯৭২

বড়ো বিচ্ছিন্নতাবাদী আন্দোলন

I am always sorry when any language is lost, because languages are pedigree of nations.

– Dr. Jonson

আজি কেইবছৰমানৰপৰা অসমৰ বড়ো-কছাৰী সম্প্ৰদায়ৰ এক অংশ মানুহে সুকীয়া স্বায়ত্ত-শাসিত অঞ্চল এটাৰ দাবী কৰি আন্দোলন কৰি আহিছে। নামত এই আন্দোলনৰ উদ্‌গাতা হ'ল ভৈয়াম জনজাতি পৰিষদ। এই পৰিষদৰ ভৈয়াম অঞ্চলৰ আটাইকেইটা জনজাতীয় সম্প্ৰদায় থকা বুলি তেওঁলোকে দাবী কৰে। কিন্তু কাৰ্য্যতঃ দেখা গৈছে যে ঘাইকৈ পশ্চিম গোৱালপাৰা অঞ্চলৰ বড়ো-কছাৰীসকলেহে এই আন্দোলনত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। কেইবছৰমানৰ আগতে বড়ো ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ দাবীত এই আন্দোলন উত্তেজনাপূৰ্ণ হৈ উঠিছিল। তাৰ পিচত দীৰ্ঘকাল ধৰি শান্ত হৈ থাকি সম্প্ৰতি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যমক কেন্দ্ৰ কৰি চলা বিবাদৰ আলম লৈ এই আন্দোলনে পুনৰ মূৰ দাঙি উঠিছে। এইবাৰ তেওঁলোকে সুকীয়া স্বায়ত্ত-শাসিত অঞ্চল এটাৰ অস্পষ্ট দাবী তুলিয়েই ক্ষান্ত হৈ থকা নাই; সেই অঞ্চলৰ চাৰিসীমা, জনসংখ্যা আৰু নাম পৰ্য্যন্ত (উদয়াচল) ঠিক কৰি পেলাইছে। অসমৰ অনৈক্য আৰু অন্তৰ্বিৰোধ দেখিলে যিসকল লোক স্বাভাৱিকতেই খুব সুখী হয়, তেওঁলোকে বড়ো বিচ্ছিন্নতাবাদী আন্দোলনৰ এই নতুন জোৱাৰ দেখি অতিশয় উল্লসিত হৈ উঠিছে।

প্ৰথমতেই এটা কথা কৈ লোৱা দৰকাৰ যে বড়ো বিচ্ছিন্নতাবাদী আন্দোলনৰ মূল দাবীটো সমৰ্থন কৰিব নোৱাৰিলেও এটা কথা অস্বীকাৰ কৰিবৰ উপায় নাই যে অসমৰ জনজাতীয় সম্প্ৰদায়ৰ লোকসকলে বিক্ষুব্ধ আৰু অসন্তুষ্ট হৈ উঠাৰ বহুতো কাৰণ আছে। ৰাজনৈতিক স্বাৰ্থত আমি এই লোকসকলক নানা প্ৰকাৰৰ তোষামোদ কৰোঁ; তেওঁলোকেই যে আদি অকৃত্ৰিম অসমীয়া, তেওঁলোকেই অসমীয়া সভ্যতা-সংস্কৃতিৰ প্ৰথম স্ৰষ্টা, তেওঁলোকক বাদ দি অসমীয়া সমাজ আৰু সংস্কৃতিৰ একো অস্তিত্ব নাথাকিব – ইত্যাদি নানা শ্ৰুতি-মধুৰ কথাৰে আমি তেওঁলোকৰ মন ভুলাবলৈ চেষ্টা কৰোঁ। কিন্তু কাৰ্য্যক্ষেত্ৰত তেওঁলোকক মঞ্চৰ সোঁ-মাজলৈ আহিবলৈ কেতিয়াও সুবিধা নিদি সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰতে অপাংক্তেয় কৰি ৰাখিছোঁ। সামগ্ৰিকভাৱে সমগ্ৰ অসমীয়া খেতিয়ক সমাজখনেই ক্ৰমবৰ্ধমান দাৰিদ্ৰ্য আৰু অৰ্থনৈতিক অন্যায়-অবিচাৰৰ কবলত জুৰুলা হৈছে যদিও জনজাতীয় সমাজৰ অৱস্থা অপেক্ষাকৃতভাৱে অধিক দুখলগা। শতকৰা প্ৰায় নিৰানব্বৈজনেই কৃষিজীৱী এই লোকসকল এসময়ত যথেষ্ট ভূ-সম্পত্তিৰ অধিকাৰী আছিল; কিন্তু সম্প্ৰতি নানা অৰ্থনৈতিক বিপৰ্য্যয়ত তেওঁলোকে মাটি-বাৰী বিক্ৰী কৰি বা বন্ধকত দি মাটিহীন ভূমিদাসত পৰিণত হৈছে। ঋণগ্ৰস্ততাৰ মাত্ৰাও তেওঁলোকৰ মাজতেই বেছি। উজনি অসমৰ প্ৰধান জনজাতীয় সম্প্ৰদায় মিচিং আৰু দেউৰীসকল সাধাৰণতে নৈৰ পাৰত বাস কৰে; যোৱা কুৰি বছৰ ধৰি ব্ৰহ্মপুত্ৰৰ বানপানীৰ অবিৰাম অত্যাচাৰে তেওঁলোকৰ অৰ্থনৈতিক জীৱন সমূলি বিপৰ্য্যস্ত কৰি পেলাইছে। জনজাতীয় সমাজৰ সৰ্বাঙ্গীন উন্নতিৰ নামত কেতবোৰ বিশেষ ব্যৱস্থা লোৱা হৈছে যদিও ৰাজনৈতিক আৰু প্ৰশাসনিক দুৰ্নীতিৰ ফলত সেই ব্যৱস্থাবোৰে সৰ্বসাধাৰণ জনজাতীয় লোকৰ কোনো স্থায়ী উপকাৰ সাধিব

পৰা নাই। চৰকাৰী চাকৰিত সংৰক্ষিত আসনে মুষ্টিমেয় শিক্ষিত জনজাতীয় ডেকাক অৰ্থনৈতিক নিৰাপত্তা আৰু সামাজিক মৰ্যাদা দিছে হয়, কিন্তু এই শ্ৰেণী-চ্যুত লোকসকলে জনজাতীয় সমাজৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত বিশেষ একো বৰঙণি যোগাব পৰা নাই। জনজাতীয় সমাজৰ শিক্ষা, স্বাস্থ্য, খোৱা পানীৰ যোগান আদি ব্যৱস্থাৰ কাৰণে যিবোৰ বিশেষ অৰ্থ-মঞ্জুৰী দিয়া হয়, তাৰো শতকৰা পঞ্চাশভাগৰ অপচয় আৰু অপ-ব্যৱহাৰ ঘটিছে বুলি সন্দেহ কৰাৰ থল আছে। এই অপচয় আৰু অপব্যৱহাৰৰ কাৰণে কেৱল প্ৰশাসন ব্যৱস্থাই দায়ী নহয়; মুষ্টিমেয় জনজাতীয় ৰাজনৈতিক নেতাসকলো এই অপৰাধৰ সমান অংশীদাৰ। অৰ্থ বিতৰণ কৰাৰ ক্ষমতা আৰু দায়িত্ব এই লোকসকলৰ হাতত, কিন্তু তেওঁলোকে এই ক্ষমতা প্ৰকৃত অভাৱ-গ্ৰস্ত জনজাতীয় লোকৰ কল্যাণৰ কাৰণে ব্যৱহাৰ কৰাতকৈ নিজৰ অৰ্থ-লালসা আৰু ৰাজনৈতিক স্বাৰ্থসিদ্ধিৰ কাৰণেহে ব্যৱহাৰ কৰে। ফলত জনজাতীয় সমাজৰ উন্নতিৰ কাৰণে নামত কোটি কোটি টকা খৰচ হৈছে যদিও কামত এই লোকসকলৰ অৱস্থাৰ বিশেষ একো পৰিৱৰ্তন হোৱা নাই। জনজাতীয় লোকসকলৰ কাৰণে গ্ৰহণ কৰা বিশেষ ব্যৱস্থাবোৰ কাৰ্য্যকৰী কৰিবলৈ অসম চৰকাৰৰ এটা জনজাতীয় পৰিক্ৰমা-দপ্তৰ আছে; এই দপ্তৰৰ দায়িত্ব সদায় এজন জনজাতীয় মন্ত্ৰীক দিয়া হয়। কিন্তু এই দপ্তৰে চিলঙতে জনজাতীয় এম-এল-এ আৰু জনজাতীয় উপদেষ্টা পৰিষদৰ সদস্যসকলক গোটাই লৈ তেওঁলোকৰ মাজত টকাখিনি ভাগ কৰি দিয়াৰ বাহিৰে আজিলৈকে আন কোনো কাম কৰা চকুত পৰা নাই। তেনেভাৱে বিতৰণ কৰা অৰ্থৰ প্ৰকৃত সদ্ব্যৱহাৰ হ'লনে নাই তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈকো এই দপ্তৰে কেতিয়াও কোনো প্ৰয়োজন অনুভৱ কৰা নাই। জনজাতীয় সমাজৰ বাস্তৱ অৱস্থাৰ অনুশীলন কৰিবলৈ বা তেওঁলোকৰ কাৰণে লোৱা বিশেষ ব্যৱস্থাসমূহৰ কাৰ্য্যকাৰিতাৰ সময়ে সময়ে মূল্যায়ন কৰিবলৈ এই দপ্তৰে আজিলৈকে কোনো ব্যৱস্থা লোৱা নাই। মুঠতে জনজাতীয় সমাজৰ উন্নতিৰ কাৰণে লোৱা বিশেষ ব্যৱস্থাসমূহ এটা বিশেষ দল আৰু এক শ্ৰেণীৰ বিশেষ লোকৰ ৰাজনৈতিক স্বাৰ্থ-সিদ্ধিৰ কাৰণে ব্যৱহাৰ কৰা হৈছে, আৰু এই কথাটো গোপন কৰিবৰ কাৰণে এটা 'নীৰৱতাৰ ষড়যন্ত্ৰ' চলি আছে। এই সকলোবোৰৰে পৰিণাম এয়েই হৈছে যে যোৱা পঁচিশ বছৰে এমুঠি ভাগ্যবান লোকৰ বাহিৰে সৰ্বসাধাৰণ জনজাতীয় লোকৰ অৱস্থা ক্ৰমশঃ বেয়াৰ ফালে গতি কৰিছে, আৰু গোটেই জনজাতীয় সমাজখনেই নিৰ্জীৱ, বিষণ্ণ আৰু হতাশাগ্ৰস্ত হৈ পৰিছে। এইবোৰৰ ওপৰতো আছে বৰ্ণ-হিন্দু-শাসিত অসমীয়া হিন্দু সমাজৰ গোড়ামি আৰু অনুদাৰতা — যাৰ ফলত জনজাতীয় সমাজে অসমীয়া সমাজ-সংস্কৃতিৰ মূল প্ৰাণ-প্ৰবাহৰ লগত সংপৃক্ত হ'ব নোৱাৰি এক যন্ত্ৰণাদায়ক বিচ্ছিন্নতাবোধৰ দ্বাৰা পীড়িত হৈ আহিছে।

জনজাতীয় সম্প্ৰদায়ৰ মাজত যিসকল শিক্ষিত ডেকা ওলাইছে, তেওঁলোকে লাহে লাহে এই কথাবোৰ বুজি পাইছে, আৰু ফলত স্বাভাৱিকতে তেওঁলোকৰ মন বিদ্ৰোহী হৈ উঠিছে। সাম্প্ৰতিক বিচ্ছিন্নতাবাদী আন্দোলন এই বিদ্ৰোহী মনোভাৱৰো এটা বহিঃপ্ৰকাশ হ'ব পাৰে। অৱশ্যে তেওঁলোকৰ এই বিদ্ৰোহ কিমান দূৰ জনজাতীয় সমাজৰ সামগ্ৰিক কল্যাণ-বোধৰ দ্বাৰা অনুপ্ৰাণিত আৰু তাৰ লগত কিমান দূৰ তেওঁলোকৰ নিজৰ ৰাজনৈতিক স্বাৰ্থ-বুদ্ধি জড়িত আছে — এই সম্পৰ্কেও সন্দেহ আৰু অধিক অনুসন্ধানৰ অৱকাশ নোহোৱা নহয়।

সি যি কি নহওক, আমি তেওঁলোকৰ ক্ৰোধ আৰু বিদ্ৰোহৰ যুক্তি-সঙ্গত কাৰণ আছে বুলি স্বীকাৰ কৰি লৈছোঁ, আৰু আন্তৰিকভাৱে তেওঁলোকৰ অনুভূতি হৃদয়ঙ্গম কৰিবলৈ চেষ্টা কৰিছোঁ। জনজাতীয় সমাজৰ প্ৰতি যিবোৰ অন্যায়-অবিচাৰ কৰা হৈছে সেইবোৰৰ বিৰুদ্ধে কৰা যুঁজত জনজাতীয় সম্প্ৰদায়ৰ যুৱক নেতাসকল কেতিয়াও অকলশৰীয়া নহয়; অসমৰ সকলো প্ৰগতিশীল শক্তিকে তেওঁলোকে সেই যুঁজত

নিশ্চয় সহ-যোদ্ধা ৰূপে পাব। আচলতে শোষণ, দাৰিদ্ৰ আৰু সামাজিক অন্যায়ৰ বিৰুদ্ধে চলাবলগীয়া সৰ্বাত্মক সংগ্ৰামৰপৰা জনজাতীয় সামাজিক আৰু অৰ্থনৈতিক মুক্তিৰ সংগ্ৰামক কেতিয়াও বিচ্ছিন্নভাৱে চাব নোৱাৰি; সমগ্ৰ দেশৰ সমাজ-ব্যৱস্থা ন্যায় আৰু সাম্যৰ আদৰ্শৰ ভেটিত প্ৰতিষ্ঠিত হ'লেহে জনজাতীয় সমাজেও দাৰিদ্ৰ্য, শোষণ আৰু অন্যায়-অবিচাৰৰপৰা মুক্তি পাব পাৰিব; সেইটো হৈ নুঠালৈকে তেওঁলোকে সুকীয়া ৰাজ্য এখন পাতি লৈ অন্যায়-অবিচাৰৰ মহা-সমুদ্ৰৰ মাজত শোষণ আৰু অবিচাৰ-মুক্ত দ্বীপ এটা গঢ়ি তুলিবলৈ কেতিয়াও আশা কৰিব নোৱাৰে।

অৱশ্যে এই কথা কোৱাৰ অৰ্থ এই নহয় যে দেশত কেৱল অৰ্থনৈতিক সমস্যাহে আছে, — সামাজিক, সাংস্কৃতিক আৰু অন্যান্য সমস্যা নাই। আমি এই কথাও ক'ব নোখোজোঁ যে ভাৰতৰ ৰাজ্যসমূহৰ পুনৰ্গঠনৰ প্ৰয়োজনীয়তাও ইতিমধ্যেই অন্ত পৰিছে। আমি কাছাৰক অসমৰপৰা বিচ্ছিন্ন কৰাৰ পোষকতা কৰোঁ, (অৱশ্যে কাছাৰৰ গৰিষ্ঠ সংখ্যক মানুহে যদি অসমীয়া ভাষা-সংস্কৃতিৰ লগত মিলন-সেতু ৰচনা কৰি অসমৰ লগতেই থাকিব খোজে, তেতিয়া অৱশ্যে জোৰকৈ তেওঁলোকক দূৰলৈ ঠেলি দিয়াৰ কোনো প্ৰশ্ন নুঠে); ভাৰতৰ অন্যান্য ৰাজ্যৰ বৃহত্তৰ স্বাৰ্থত উত্তৰ প্ৰদেশৰ নিচিনা বৃহদাকাৰ ৰাজ্যবোৰ দুই বা ততোধিক ৰাজ্যত বিভক্ত কৰাটো সমীচীন বুলি আমি ভাবোঁ। কিন্তু যিবোৰ মূল-নীতিৰ ভিত্তিত আমি এনেধৰণৰ পুনৰ্গঠনৰ পোষকতা কৰোঁ তাৰ এটা নীতিও জনজাতীয় লোকসকলৰ সুকীয়া ৰাজ্য বা উপৰাজ্যৰ দাবীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। ভাৰতত ৰাজ্যিক পুনৰ্গঠনৰ প্ৰধান ভেটি হ'ল ভাষা। সংবিধান-স্বীকৃত কেইটামান প্ৰধান ভাষাক ভিত্তি কৰি ভাৰতৰ ৰাজ্যবোৰ গঠন কৰা হৈছে। অৱশ্যে উৰ্দুৰ নিচিনা সমৃদ্ধিশালী সাহিত্য থকা আৰু বৃহৎসংখ্যক জনসাধাৰণে ব্যৱহাৰ কৰা ভাষা একোটায়ো অনিবাৰ্য্য কাৰণত সুকীয়া ৰাজ্য পোৱা নাই। সংবিধান-স্বীকৃত প্ৰধান ভাষা কেইটাৰ উপৰিও ভাৰতত ২১২ টামান উপ-ভাষা আছে। সেই সকলোবোৰ উপ-ভাষাৰে হয়তো শিক্ষাৰ মাধ্যম হ'ব পৰা বা সাহিত্যৰ জন্ম দিব পৰা শক্তি নাই; কিন্তু যি কেইটাৰ আছে তাৰ প্ৰত্যেকটোৰ ভেটিত একোখনকৈ ৰাজ্য বা উপ-ৰাজ্য সৃষ্টি কৰিবলৈ হ'লে ভাৰতত এটা অবৰ্ণনীয় ৰাজনৈতিক আৰু প্ৰশাসনিক বিশৃংখলাৰ সৃষ্টি হ'ব। ভাৰতৰ বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰ, শাসক দল, বা আন যিকোনো ৰাজনৈতিক দলেই এনে এটা ভয়াবহ বিশৃংখলাৰ মুখামুখি হ'বলৈ ইচ্ছুক বা প্ৰস্তুত বুলি আমি নাভাবোঁ।

ভৈয়াম জনজাতি পৰিষদৰ নামত চলা বড়ো বিচ্ছিন্নতাবাদী আন্দোলনৰ শক্তি আৰু প্ৰেৰণাৰ প্ৰধান উৎস হ'ল বড়ো ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ দাবী। বড়োসকলৰ বাহিৰে ভৈয়ামৰ আন কোনো এটা জনজাতিয়েই তেওঁলোকৰ উপ-ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ দাবী উত্থাপন কৰা নাই। বড়ো-কছাৰীসকলৰ ভিতৰতো মধ্য আৰু উজনি অসমত বাস কৰা কছাৰীসকলে বড়ো ভাষা সমূলি নাজানে; আহোমসকলৰ দৰে তেওঁলোকেও কেতিয়াবাই নিজৰ ভাষা পাহৰি পেলাইছে আৰু অসমীয়াই তেওঁলোকৰ একমাত্ৰ মাতৃভাষা হৈ পৰিছে। গতিকে ভাষাৰ ভিত্তিত সুকীয়া জনজাতীয় ৰাজ্য বা স্বায়ত্ত শাসিত অঞ্চল স্থাপন কৰাৰ দাবী সমূলি নিটিকে।

দ্বিতীয়তে, কেৱল জনজাতীয়তাবাদৰ ভিত্তিত তেওঁলোকে যি সুকীয়া ৰাজ্য দাবী কৰিছে আৰু তাৰ সীমা চিহ্নিত কৰিছে, তাৰ কোনো এটা অঞ্চলতেই জনজাতীয় লোকসকল একমাত্ৰ সৰ্ববৃহৎ লোকগোষ্ঠী নহয়। অন্যান্য অ-জনজাতীয় লোকসকলৰ মাজে মাজে তেওঁলোক বিক্ষিপ্তভাৱে সিঁচৰতি হৈ আছে। সহজ পাটিগণিতৰ হিচাবেৰেও তেওঁলোকৰ কাৰণে এটা সুকীয়া অঞ্চলৰ চাৰি-সীমা কল্পনা কৰিব নোৱাৰি। তদুপৰি প্ৰস্তাৱিত 'উদয়াচল' ৰাজ্যত (বা উপৰাজ্যত) উন্নততৰ ভাষা-সংস্কৃতিৰ অধিকাৰী আৰু সংখ্যাগৰিষ্ঠ

অসমীয়াসকলে স্বেচ্ছাই নিজৰ ভাষা এৰি দি ইংৰাজী ভাষা গ্ৰহণ কৰিব বুলি কেতিয়াও আশা কৰিব নোৱাৰি। এনে স্থলত কেতিয়াবা 'উদয়াচল' ৰাজ্য স্থাপিত হ'লেও সি কেৱল অন্তহীন সংঘৰ্ষৰ ৰণ-স্থলীতহে পৰিণত হ'ব। কোনো বাস্তৱ বুদ্ধি থকা মানুহেই এনে এটা সম্ভাৱনাক স্বেচ্ছাই আমন্ত্ৰণ কৰি নানে।

বড়ো-কছাৰী তথা ভৈয়াম জনজাতি পৰিষদৰ নেতাসকলে অলপ দকৈ চিন্তা কৰি চালেই উপলব্ধি কৰিব যে তেওঁলোকৰ বিচ্ছিন্নতাবাদী আন্দোলনৰ প্ৰকৃততে কোনো ভৱিষ্যত নাই। ই কেৱল শক্তি আৰু সময়ৰ অপচয় মাত্ৰ। সেই সময় আৰু শক্তিখিনি যদি তেওঁলোকে জনজাতীয় সমাজৰ প্ৰকৃত কল্যাণ তথা সামাজিক আৰু অৰ্থনৈতিক মুক্তিৰ কামত উছৰ্গা কৰে, তেন্তে তেওঁলোকে অসমৰ সকলো প্ৰগতিশীল শক্তিৰে অকুণ্ঠ সহায়-সহযোগিতা লাভ কৰিব। তেওঁলোকে এই কথাও উপলব্ধি কৰা উচিত যে বাংলা বা আন ভাষাৰ প্ৰতি অসমীয়াসকলৰ যি মনোভাব, বড়ো ভাষাৰ প্ৰতি তেনে মনোভাব নাই; কাৰণ বড়ো ভাষা হ'ল অসমৰ থলুৱা ভাষা; এই ভাষাৰ লগত অসমৰ সহস্ৰাধিক বছৰৰ ইতিহাসৰ স্মৃতি জড়িত হৈ আছে। বড়ো ভাষাৰ অবাধ বিকাশ আৰু সমৃদ্ধিৰ কাৰণে প্ৰয়োজনীয় সকলো সুযোগ-সুবিধা দিবলৈ আমিও অসম চৰকাৰৰ ওচৰত বাৰম্বাৰ দাবী কৰিম। আমি অসম সাহিত্য সভাকো পৰামৰ্শ দিব খোজোঁ যে ই যিহেতু অসমীয়া সাহিত্য সভা নহয়, অসমৰ সাহিত্য সভা, গতিকে এই অনুষ্ঠানে অসমৰ অন্যান্য থলুৱা ভাষাবোৰকো নিজৰ বিভিন্ন কাৰ্য্য-ব্যৱস্থাৰ অঙ্গীভূত কৰি লোৱা উচিত, আৰু সাহিত্য সভাৰ প্ৰত্যেক বাৰ্ষিক অধিবেশনতে বড়ো প্ৰমুখ্যে অন্যান্য থলুৱা ভাষাসমূহৰ কাৰণে বিশেষ অধিবেশন বা আলোচনা চক্ৰৰ ব্যৱস্থা কৰা উচিত। ঠিক সেইদৰে বড়োসকলেও অসমীয়া ভাষাৰ প্ৰতি বিজাতীয় ঘৃণাৰ মনোভাব পোষণ কৰা অনুচিত – যাৰ ফলত বিদেশী ইংৰাজী বা অন্যান্য যি কোনো 'উন্নত ভাৰতীয় ভাষা' তেওঁলোকৰ আপোন হৈ উঠিব পাৰে, অথচ সহস্ৰ বছৰৰ পৰমাত্মীয় অসমীয়া ভাষা একেইদিনাই পৰ হৈ যাব পাৰে। বড়ো-কছাৰী তথা অন্যান্য জনজাতীয় লোকসকল চিৰকাল অসমতেই থাকিব লাগিব, আৰু অসমীয়া যিহেতু অসমৰ চৰকাৰী ভাষা, গতিকে অসমীয়া ভাষাক বাদ দি চলিবলৈ তেওঁলোকৰ কোনো উপায় নাথাকিব। আবেগৰ বশবৰ্তী হৈ সামাজিক আৰু অৰ্থনৈতিক বাস্তৱতাক অস্বীকাৰ কৰি থাকিলে শেষ ফল তেওঁলোকৰ কাৰণেই বেয়া হ'ব।

উপ-ভাষাক কেন্দ্ৰ কৰি হোৱা এনে বিচ্ছিন্নতাবাদী আন্দোলন কেৱল অসম বা ভাৰতৰেই আচুতীয়া সমস্যা নহয়। গ্ৰেট বৃটেইনতো ওৱেলচসকলে কেইবাশতাব্দী ধৰি এনে আন্দোলন চলাই আহিছে। কিন্তু তাৰ বেছিভাগ সৰ্বসাধাৰণ মানুহে লাহে লাহে এনেবোৰ ভৱিষ্যতহীন আন্দোলনৰ অসাৰ্থকতা উপলব্ধি কৰিছে আৰু ই এতিয়া মুষ্টিমেয় উপ-জাতীয়তাবাদী লোকৰ মানসিক বিলাসত পৰিণত হৈছে। কানাডাত ইংৰাজী আৰু ফৰাচী ভাষাৰ বিৰোধৰ সমস্যা তাতোকৈয়ো গুৰুতৰ। এসময়ত কুইবেক বিচ্ছিন্নতাবাদী আন্দোলনৰ নেতৃত্ব কৰা আৰু বৰ্তমান কানাডাৰ প্ৰধান মন্ত্ৰী মিঃ পিয়েৰ ট্ৰুডোৱে এই আন্দোলনৰ সম্পৰ্কত এসময়ত কৈছিল : The truth is that the separatist counter revolution is the work of a powerless petit-bourgeois minority afraid of being left behind by a 20th century revolution. Rather then carving themselves out a place in it by ability, they want to make the whole tribe return to the wigwams by declaring its independence. Separatism a revolution? My eye!"

ৰহস্যময় নীৰৱতা

অসমৰ বৰ্তমান চৰকাৰৰ এটা নতুন চাৰিত্ৰিক লক্ষণ দেখা গৈছিল। চৰকাৰৰ যিকোনো কাম-কাজৰ বিষয়ে ৰাজহুৱা সমালোচনা প্ৰকাশ পালেই বৰ্তমানৰ চৰকাৰে এক মুহূৰ্তও সময় অযথা বিলম্ব নকৰি টপৰাই মুখ মেলিছিল, আৰু কিবা নহয় কিবা এযাৰ কৈ আত্ম-পক্ষ সমৰ্থনৰ চেষ্টা কৰিছিল। আনকি সৰু-সুৰা দুৰ্নীতিৰ অভিযোগৰ তদন্ত কৰিবলৈকো বৰ্তমানৰ চৰকাৰে ইতিমধ্যেই একাধিক তদন্ত কমিটী গঠন কৰি দিছে। আগৰ আটাইবোৰ চৰকাৰৰ বেপৰোৱা মনোভাব আৰু পাষাণ-সদৃশ নীৰৱতাৰ তুলনাত বৰ্তমানৰ চৰকাৰৰ এই স্পৰ্শকাতৰতা যে বহুগুণে বেছি প্ৰশংসনীয় সেই বিষয়ে কোনো সন্দেহ নাই।

কিন্তু এনেহেন এটা বাগ্-বিলাসী চৰকাৰেও এটা গুৰুতৰ ৰাজহুৱা অভিযোগৰ সম্পৰ্কত যি দুৰ্বোধ্য নীৰৱতা অবলম্বন কৰিছে সি সকলোকে আচৰিত কৰি তুলিছে। বিষয়টো হ'ল দিল্লীত অনুষ্ঠিত এচিয়া-৭২ মেলাৰ কাৰণে নিৰ্মাণ কৰা অসম-মণ্ডপ সম্পৰ্কে যোৱা কেইবাসপ্তাহ ধৰি অবিৰামভাৱে প্ৰকাশ পাই থকা নানা ৰাজহুৱা অভিযোগ। সংসদী সদস্যৰপৰা আৰম্ভ কৰি দিল্লী প্ৰবাসী অসমীয়া ছাত্ৰলৈকে বিভিন্ন ব্যক্তিয়ে এই মণ্ডপৰ নিৰ্মাণ-কাৰ্য্য আৰু পৰিচালনাৰ লগত জড়িত বিভিন্ন বিষয় সম্পৰ্কে অতি স্পষ্ট, তথ্যপূৰ্ণ আৰু গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। আমি বিশ্বস্ত সূত্ৰে জানিবলৈ পোৱা মতে, কেইবাজনো সংসদী সদস্যই লগ লাগি এই সম্পৰ্কে মুখ্য-মন্ত্ৰীলৈ এখন চিঠিও লিখিছে। কিন্তু ইয়াৰ পিচতো অসম চৰকাৰে এই সম্পৰ্কত যিভাৱে সম্পূৰ্ণ নীৰৱতা অবলম্বন কৰি আছে তাৰ ব্যাখ্যা বিচাৰি পোৱাটো অতি টান হৈ পৰিছে।

এই মণ্ডপ নিৰ্মাণত যদিহে সঁচাকৈয়ে কিছু টকাৰ অপচয় ঘটিছে, তেন্তে তাৰ পৰিমাণ হয়তো চাৰি-পাঁচ লাখ টকাতকৈ বেছি নহ'বও পাৰে। অহৰহ কোটি কোটি চৰকাৰী টকাৰ অপচয় দেখি দেখি অভ্যস্ত হৈ উঠা জনসাধাৰণ মাত্ৰ চাৰি-পাঁচ লাখ টকাৰ অপচয় বা অপ-ব্যৱহাৰৰ কাৰণে বিচলিত হৈ উঠাৰ কোনো আশংকা নাই। কিন্তু এই মণ্ডপৰ দুৰ্নীতিপৰায়ণ নিৰ্মাণ-কাৰ্য্যৰ ফলত যিটো বস্তু ক্ষতিগ্ৰস্ত হৈছে বা আমি হেৰুৱাব লগা হৈছে — তাৰ মূল্য কোটি কোটি টকাৰেও জুখিব নোৱাৰি ঃ সেইটো হ'ল অসমৰ ইজ্জৎ। অসম-মণ্ডপৰ নিৰ্মাণ আৰু এচিয়া-৭২ মেলাত অসমৰ প্ৰদৰ্শনী-ব্যৱস্থা সম্পৰ্কে যিবোৰ অভিযোগ এতিয়ালৈকে প্ৰকাশ হৈছে তাৰ চাৰিভাগৰ এভাগো যদি সঁচা হয়, তেতিয়া হ'লেও ক'ব লাগিব যে এই মণ্ডপে বহিৰ্জগতৰ দৃষ্টিত অসমৰ ইজ্জৎ ধূলিস্যাৎ কৰি দিছে। এই অমাৰ্জনীয় অপৰাধৰ কাৰণে অসম চৰকাৰে অসমৰ জনসাধাৰণৰ ওচৰত কৈফিয়ৎ নিদিয়াকৈ কেতিয়াও থাকিব নোৱাৰে।

এই সম্পৰ্কত দ্বিতীয় বিচাৰ্য্য বিষয় হ'ল অসম চৰকাৰৰ নিজস্ব ইজ্জৎ। আমি জনাত অসমৰ বৰ্তমান চৰকাৰৰ বিৰুদ্ধে এইটোৱেই প্ৰথম দুৰ্নীতিৰ অভিযোগ। ইয়াৰ আগতে যিবোৰ দুৰ্নীতিমূলক কাৰ্য্যৰ বিৰুদ্ধে তদন্তৰ ব্যৱস্থা কৰি বা শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি বৰ্তমানৰ মন্ত্ৰীসভাখন ৰাইজৰ প্ৰশংসাভাজন হৈছে সেই আটাইবোৰ দুৰ্নীতিমূলক কাৰ্য্য সংঘটিত হৈছিল আগৰবোৰ চৰকাৰৰ দিনত। অসমৰ বৰ্তমান মন্ত্ৰীসভাখন

অপেক্ষাকৃতভাৱে অধিক সৎ আৰু দুৰ্নীতিমুক্ত : জন-মানসত থকা এই ধাৰণাটোৱেই এতিয়ালৈকে আছিল তেওঁলোকৰ আটাইতকৈ ডাঙৰ সুৰক্ষা-কবচ। কিন্তু পূৰ্ববৰ্তী চৰকাৰৰ দিনত সংঘটিত দুৰ্নীতিমূলক কাৰ্য্য-কলাপৰ বিৰুদ্ধে খড়্গহস্ত হৈ আৰু নিজৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ উত্তৰত বোবা হৈ থাকি তেওঁলোকে এই ৰক্ষা-কবচৰ মন্ত্ৰ-শক্তি কেতিয়াও অক্ষুণ্ন ৰাখিব নোৱাৰে। প্ৰসংগতঃ এইখিনিতে আৰু এটা কথা উল্লেখ কৰা প্ৰয়োজন। শ্ৰীসিংহই চৌধুৰী-মন্ত্ৰীসভাৰ যি তিনিজন মন্ত্ৰীক নিজৰ মন্ত্ৰীসভাত ঠাই দিছে, তাৰে এজনৰ বিৰুদ্ধে কেতবোৰ অতি গুৰুত্বপূৰ্ণ অভিযোগ প্ৰমাণ-পত্ৰ সহকাৰে মুখ্য মন্ত্ৰীৰ ওচৰত দাখিল কৰা হৈছিল। এই অভিযোগবোৰ দাখিল কৰিছিল কংগ্ৰেছ দলৰেই এজন প্ৰবীণ সদস্যই। কিন্তু আমি বিশ্বস্ত সূত্ৰে জানিবলৈ পোৱা মতে এই অভিযোগবোৰ সম্পৰ্কে যথাবিহিত তদন্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে বহুবাৰ মৌখিক প্ৰতিশ্ৰুতি দিছে যদিও যোৱা আঠ মাহতকৈ অধিক কাল ধৰি তেওঁ এই অভিযোগবোৰৰ তদন্তৰ কোনো ব্যৱস্থা নকৰাকৈ পেলাই থৈছে। ভাৰতবৰ্ষত অৱশ্যে দুৰ্নীতিক বিচিত্ৰ উপায়েৰে ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ কামত ব্যৱহাৰ কৰা হয়। বহু বহু ক্ষেত্ৰত দুৰ্নীতিৰ বিৰুদ্ধে অভিযোগ চলাই যেনেকৈ সহজে জনপ্ৰিয়তা অৰ্জন কৰিব পাৰি, তেনেকৈ কেতবোৰ দুৰ্নীতিৰ অভিযোগ কৌশলেৰে গোপন কৰি বা ডিমক্লিছৰ তৰোৱালৰ দৰে ব্যৱহাৰ কৰি বহুতো মানুহক হাতৰ মুঠিত ৰাখিবও পাৰি। মুঠতে ভাৰতবৰ্ষত এতিয়ালৈকে এনে এটা শাসকচক্ৰৰ উদ্ভৱ হোৱা নাই — যি দুৰ্নীতিক ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ কাৰণে ব্যৱহাৰ কৰা নাই বা দুৰ্নীতিৰ বিৰুদ্ধে সৰ্বাত্মক অভিযান চলাবলৈ চেষ্টা কৰিছে। আমি এতিয়াও আশা কৰোঁ যে অসমৰ জনসাধাৰণৰ মনত নতুন আশা আৰু বিশ্বাস জগাই তোলা সিংহ চৰকাৰ এই ক্ষেত্ৰত এটা উজ্জ্বল ব্যতিক্ৰম হ'ব। অসম-মণ্ডপৰ নিৰ্মাণ কাৰ্য্য আৰু উপৰোক্ত মন্ত্ৰীজনৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগবোৰৰ বিষয়ে মুকলি তদন্তৰ ব্যৱস্থা কৰি নিজৰ আন্তৰিকতা আৰু আদৰ্শবাদীতা নিৰ্ভুলভাৱে প্ৰতিপন্ন কৰিবলৈ আমি অসম চৰকাৰক আহ্বান জনালোঁ।

নিবনুৱা সমস্যাৰ সমাধান

ক্ৰমবৰ্ধমান নিবনুৱা সমস্যাৰ কাৰণে অসম চৰকাৰে একেবাৰে একো কৰা নাই — সেই কথা সম্পূৰ্ণ সঁচা নহয়। মাত্ৰ কেইদিনমানৰ আগতে অসম চৰকাৰে এটা সম্পূৰ্ণ নতুন পদ সৃষ্টি কৰি হ'লেও এজন শিক্ষিত নিবনুৱা ডেকাক সেই পদত মকৰল কৰিছে। এই নতুন পদ সৃষ্টি হোৱাৰ ফলত একে লগতে তিনিটা উদ্দেশ্য সিদ্ধ হ'ব : (১) মুখ্যমন্ত্ৰীয়ে ৰাজনৈতিক ভুল আগতকৈ কম কৰিব, (২) চৰকাৰৰ সমালোচকসকলক চুঙা চাই সোপা দিয়াৰ ব্যৱস্থা হ'ব, (৩) এজন নিবনুৱা ডেকাৰ কমপক্ষেও বছৰ দিয়েকৰ কাৰণে কৰ্ম-সংস্থান হ'ব।

কেন্দ্ৰীয় চৰকাৰে দিয়া ধন অসমে খৰচ কৰিব পৰা নাই

"অসমৰ ছাত্ৰসকলে অসমীয়া ভাষাৰ উন্নতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰপৰা অধিক অৰ্থ সাহায্য দাবী কৰি আন্দোলন নকৰে; (শিক্ষা মন্ত্ৰালয়ে এবছৰৰ আগতে অসমীয়া ভাষাৰ কাৰণে ১ কোটি ২৫ লাখ টকাৰ অনুদান দিছিল; অসমে তাৰে মাত্ৰ ১২ লাখ টকাহে এতিয়ালৈকে খৰচ কৰিব পাৰিছে।)"

শ্ৰীকুলদীপ নায়াৰ ঃ ষ্টেট্‌চ্‌মেন, ১২/১২/৭২

বাতৰি কাকতত সকলো সময়তে শুদ্ধ খবৰ প্ৰকাশ নাপায়। ওপৰৰ খবৰটোও সঁচা বুলি বিশ্বাস কৰিবলৈ আমি প্ৰথমতে টান পাইছিলোঁ। কিন্তু খবৰটো প্ৰকাশ পোৱাৰ দুদিনমানৰ পিচতে ঘটনাক্ৰমে শিক্ষামন্ত্ৰী শ্ৰীতালুকদাৰক লগ পালোঁ। তাৰ আগদিনা তেওঁ দিল্লীৰপৰা ঘূৰি আহিছিল। কথাই কথাই শ্ৰীতালুকদাৰে নিজেই ক'লে যে ভাষা আৰু সাহিত্যৰ উন্নয়নমূলক কোনো আঁচনিৰ কাৰণেই সম্প্ৰতি কেন্দ্ৰীয় অৰ্থ-সাহায্যৰ অভাৱ নাই; কিন্তু কেন্দ্ৰীয় শিক্ষা-মন্ত্ৰী প্ৰফেচৰ নুৰুল হাচানে দুখ কৰি শ্ৰীতালুকদাৰক ক'লে যে অসমে নতুনকৈ কেন্দ্ৰীয় চৰকাৰৰপৰা টকা বিচৰা দূৰৰ কথা, যোৱা বছৰ অনা ধনখিনিকে আজিলৈকে খৰচ কৰি শেষ কৰিব পৰা নাই।

অসমৰ ৰাইজে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰপৰা এই সম্পৰ্কে এটা স্পষ্টীকৰণ নিশ্চয় দাবী কৰিব পাৰে; (উপৰোক্ত ধনখিনি অসমীয়া ভাষাত পাঠ্য-পুথি প্ৰণয়নৰ কাৰণে দিয়া হৈছিল।)

সাপ্তাহিক নীলাচল, ২১২ সংখ্যা : ২৭ ডিচেম্বৰ, ১৯৭২

তিনিটা বছৰ

দীঘলীয়া খৰাং বতৰে যেতিয়া পথাৰক মৰুভূমিত পৰিণত কৰে, খেতিয়কে দিনৰ পিচত দিন ধৰি ব্যাকুল আশাৰে আকাশৰ ফালে চাই থাকে। আকাশৰ দূৰতম প্ৰান্তত মেঘৰ সামান্য আভাস দেখিলেই খেতিয়কৰ মন আনন্দত জাপ পাৰি নাচি উঠে। তিনি বছৰ আগতে ভাৰতৰ ৰাজনৈতিক আকাশত তেনে এটা ঘটনা ঘটিছিল। কংগ্ৰেছ অনুষ্ঠান সম্পৰ্কে যেতিয়া জনসাধাৰণৰ সম্পূৰ্ণ মোহভঙ্গ ঘটিছিল, আৰু বাওঁপন্থী দলবোৰেও অন্তহীন আদৰ্শগত বিতৰ্কৰ আত্মক্ষয়ী সংগ্ৰামত লিপ্ত হৈ এটা সুস্পষ্ট বিকল্প পথৰ সন্ধান দিয়াত ব্যৰ্থ হৈ পৰিছিল, সেই সময়তে ভাৰতৰ ৰাজনৈতিক আকাশত মেঘৰ গুম্‌গুমনি শুনা গ'ল। সেই গুম্‌গুমনি হ'ল শ্ৰীমতী ইন্দিৰা গান্ধীৰ প্ৰতিবাদৰ কণ্ঠস্বৰ, প্ৰতিশ্ৰুতিৰ কণ্ঠস্বৰ। নৈৰাশ্য আৰু কিংকৰ্তব্য-বিমূঢ়তাৰ দীঘলীয়া খৰাং বতৰে আতঙ্কিত কৰি তোলা ভাৰতীয় জনসাধাৰণৰ মনত নতুন আশাৰ সঞ্চাৰ হ'ল। সকলোৰে মনত বিশ্বাস হ'ল যে এইবাৰ নিশ্চয় আৰম্ভ হ'ব বহু-প্ৰতীক্ষিত বৃষ্টিধাৰা, এইবাৰ নিশ্চয় পূৰ্ণ হ'ব সকলো অপূৰ্ণ আশা, সকলো অপূৰ্ণ প্ৰতিশ্ৰুতি।

বৰষুণ যে একেবাৰেই নাহিল সেইটো নহয়। মেঘে যিমান গাজিছিল সেই অনুপাতে নবৰষিলেও মানুহৰ আশা জাগ্ৰত কৰি ৰাখিব পৰাকৈ প্ৰথম অবস্থাত কেবাজাউৰিও বৰষুণ নামিল। কংগ্ৰেছ অনুষ্ঠানৰ পৰা 'প্ৰতিক্ৰিয়াশীল শক্তিসমূহ' বিতাড়িত হ'ল। চৈধ্যটা বেঙ্কৰ ৰাষ্ট্ৰীয়কৰণ কৰা হ'ল। ৰাজন্যবৰ্গৰ মাননি বিলুপ্ত কৰা হ'ল। সমগ্ৰ দেশ জুৰি ঢাক-ঢোল পিটি ভূমি-সংস্কাৰৰ আইন গ্ৰহণ কৰা হ'ল। পাকিস্তানৰ লগত হোৱা যুদ্ধত গৌৰৱময় বিজয় অৰ্জন কৰি দক্ষিণ এচিয়াত ভাৰতক বৃহত্তম শক্তি ৰূপে প্ৰতিষ্ঠিত কৰা হ'ল। এই সকলোৰে প্ৰতিদান স্বৰূপে ভাৰতৰ জনসাধাৰণেও শ্ৰীমতী ইন্দিৰা গান্ধী আৰু তেওঁৰ নেতৃত্বাধীন কংগ্ৰেছক অভূতপূৰ্ব মৰ্যাদা আৰু ক্ষমতাৰ আসনত অধিষ্ঠিত কৰিলে।

কিন্তু তাৰ পিচৰপৰাই বৃষ্টিপাত হঠাতে বন্ধ হ'ল — আক্ষৰিক আৰু আলঙ্কাৰিক উভয় অৰ্থত। যোৱা গোটেই বছৰ ধৰি কেৱল খেতিৰ মাটিতেই যে বৰষুণ পৰা নাই এনে নহয়; মানুহৰ মনৰ মাটিও নতুন আশাৰ জীপ্ নাপাই শুকাই কৰ্কৰীয়া মাৰিবলৈ আৰম্ভ কৰিছে। শ্লোগানৰ মেঘ-গৰ্জন শেষ হ'ল, কিন্তু তাৰ পিচত নানা ফলদায়ক কামৰ ৰূপত যি বৰষুণ আহিব লাগিছিল — সি আৰু নাহিল। যি দুই-এটোপাল বৰষুণ নামিছিল — সিও মাটিত পৰিবলৈ নৌ পাওঁতেই আকাশতে শুকাই শেষ হ'ল। এতিয়াও বিক্ষিপ্তভাৱে অ'ত ত'ত শ্লোগান-ৰূপী মেঘ-গৰ্জন শুনা যায়, কিন্তু প্ৰতাৰিত মানুহৰ কাণত সি কেৱল ছলনা আৰু নিৰ্মম ঠাট্টাৰ বাহিৰে আন একো নহয়।

সকলোৱে স্বীকাৰ কৰে যে শ্ৰীমতী গান্ধীয়ে অভূতপূৰ্ব ৰাজনৈতিক বিচক্ষণতাৰ পৰিচয় দিছে। কিন্তু সেই ৰাজনৈতিক বিচক্ষণতাই যদি কেৱল তেওঁৰ আৰু তেওঁৰ ঘনিষ্ঠ অনুগামীসকলৰ ৰাজনৈতিক ক্ষমতা সুদৃঢ় কৰাৰ বাহিৰে জনতাৰ মঙ্গল-সাধনত একো সহায় নকৰে, তেন্তে জনতাৰ দৃষ্টিত সেই ৰাজনৈতিক বিচক্ষণতাৰ মূল্য কি? ভাৰতৰ দৰিদ্ৰ জনসাধাৰণে বিচাৰিছিল অৰ্থনৈতিক মুক্তি। বিয়াল্লিছৰ গণ-বিপ্লৱৰ সময়ত মহাত্মা গান্ধীয়ে দিয়া 'কুইট ইণ্ডিয়া' বা 'ভাৰত ত্যাগ কৰা' শ্লোগানৰ পিচত বিটো শ্লোগানে

ভাৰতীয় জনসাধাৰণৰ অন্তৰ আটাইতকৈ বেছিকৈ স্পৰ্শ কৰিছিল — সেইটো আছিল শ্ৰীমতী গান্ধীৰ 'গৰিবী হটাওঁ' বা 'দাৰিদ্ৰ্য দূৰ কৰা'। এই এটা মাত্ৰ শ্লোগানৰ প্ৰতি সঁহাৰি জনাই ভাৰতীয় জনসাধাৰণে শ্ৰীমতী গান্ধীৰ হাতত তুলি দিছিল অভূতপূৰ্ব ৰাজনৈতিক ক্ষমতা। কিন্তু এই নিৰঙ্কুশ ৰাজনৈতিক ক্ষমতা আজি কিভাৱে ব্যৱহৃত হৈছে? কংগ্ৰেছৰপৰা 'প্ৰতিক্ৰিয়াশীল শক্তিসমূহ' বিতাড়িত হোৱাৰ পিচতো প্ৰগতিশীল নতুন কংগ্ৰেছৰ ৰাজত্বত ভূমি-সংস্কাৰৰ আইন আজি অত মাহে কেৱল কাগজৰ পাততেই আবদ্ধ হৈ আছে কিয়? কিয় কংগ্ৰেছ চৰকাৰে 'চুগাৰ-বেৰণ' বা চেনিকলৰ মালিকসকলৰ ওচৰত নিৰ্লজ্জভাৱে নতি-স্বীকাৰ কৰি ৰাইজৰ জিভাত চেনিৰ স্বাদ বিষবৎ তিতা কৰি তুলিছে? খাদ্য-শস্যৰ পাইকাৰী ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ আহমেদাবাদ কংগ্ৰেছত লোৱা প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিয় ইখনৰ পিচত সিখন ৰাজ্য চৰকাৰে নানা বিধি-পথালিৰ সৃষ্টি কৰি হোহকা-পিছলা কৰিছে? এসময়ত কংগ্ৰেছ চৰকাৰে প্ৰগতিশীল কোনো কামেই কৰিব নোৱৰাৰ এটা প্ৰধান অজুহাত আছিল দলৰ ভিতৰতে থকা ন্যস্ত-স্বাৰ্থ প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ বিৰোধিতা। আজি নিশ্চয় সেই অজুহাত নাই। এসময়ত প্ৰগতিশীল আইনবোৰ কাৰ্য্যকৰী কৰিব নোৱৰাৰ এটা প্ৰধান অজুহাত আছিল মহাপৰাক্ৰমী ৰাজ্যিক মুখ্যমন্ত্ৰীসকলৰ অসহযোগিতা। এতিয়াতো বেছিভাগ ৰাজ্যৰে সাক্ষী-গোপাল মুখ্যমন্ত্ৰীসকল শ্ৰীমতী গান্ধীৰ একান্ত বাধ্য 'সুবোধ বালক'। ... কংগ্ৰেছ চৰকাৰে কাম কৰিব নোৱৰাৰ প্ৰধান অজুহাত এটাৰ পিচত এটাকৈ নোহোৱা হৈ গৈছে অথচ দেশৰ অৱস্থা আগতে যি আছিল এতিয়াও সি একেই আছে; ক্ষেত্ৰবিশেষে সি আগতকৈ বেয়াহে হৈছে। আন একো অজুহাত বিচাৰি নাপাই কেইমাহ মানৰ আগতে কংগ্ৰেছ সভাপতিয়ে স্বপ্ন-প্ৰাপ্ত মাদুলীৰ নিচিনাকৈ হঠাৎ এদিন আৱিষ্কাৰ কৰিলে 'চি আই এ'ৰ ভূত। অৰ্থাৎ দেশত যিমান অশান্তি আৰু বিক্ষোভ হৈছে — তাৰ মূলতে মানুহৰ আশা-ভঙ্গৰ যন্ত্ৰণা নাই, অৰ্থনৈতিক সঙ্কট নাই, আঞ্চলিক বৈষম্যজনিত অন্তৰ্দাহ নাই, চৰকাৰৰ অমাৰ্জনীয় অকৰ্মণ্যতা নাই — আছে কেৱল 'চি আই এ'ৰ ষড়যন্ত্ৰ।

কংগ্ৰেছৰ ঐতিহাসিক বিভাজনৰ তিনি বছৰৰ মূৰত দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক দুয়োখন চিত্ৰই গভীৰ হতাশাব্যঞ্জক। দেশৰ অৰ্থনৈতিক জীৱনৰ আটাইকেইটা প্ৰধান সমস্যা — নিম্ন উৎপাদন, মূল্য-বৃদ্ধি, নিবনুৱা সমস্যা আৰু মুদ্ৰা-স্ফীতি — এই আটাইকেইটাই চলিত বছৰটোত ভয়াবহ সঙ্কটজনক ৰূপ ধাৰণ কৰিছে। কোৱা বাহুল্য মাথোন যে এই আটাইকেইটা সমস্যা পৰস্পৰৰ লগত নিবিড়ভাৱে সম্পৰ্কিত, আৰু তাৰ কোনো এটা সমস্যাকে বিচ্ছিন্নভাৱে যেনেকৈ চাব নোৱাৰি, বিচ্ছিন্নভাৱে তাৰ সমাধানো কৰিব নোৱাৰি। এইটোও ঠিক যে আজিৰ বিষবৃক্ষ-ৰূপী বহুবোৰ সমস্যাৰ বীজ ৰোপণ কৰা হৈছিল পৰিকল্পিত অৰ্থনীতি আৰম্ভ হোৱাৰ প্ৰথম পৰ্য্যায়তে। এই বছৰৰ ৩০ মে' তাৰিখে জাতীয় উন্নয়ন পৰিষদৰ এখন বৈঠক দিয়া ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়েও স্বীকাৰ কৰিছিল যে চৰকাৰে যথোচিত সময়ত একশ্ৰেণীৰ মানুহৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ আৰু কেতবোৰ আঁচনি ল'বলৈ সঙ্কোচ কৰাৰ ফলতেই আজি আমি বহুতো আহুকলীয়া সমস্যাৰ সমুখীন হ'বলগা হৈছোঁহক। সেই একেখন বৈঠকতে তেওঁ আৰু কৈছিল : "আমি বহুদিন ধৰি যথেষ্ট মানসিক দুৰ্বলতা দেখুৱাই আহিছোঁ। এতিয়া আৰু দুৰ্বলতা বা কোমলতাৰ কোনো ঠাই নাই। সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ হ'লে আমি অতি খৰতকীয়া কাৰ্য্য-ব্যৱস্থা ল'ব লাগিব।" প্ৰধানমন্ত্ৰীয়ে সেই কথা কোৱাৰ আজি ছমাহ পাৰ হৈ গ'ল। যোৱা ছমাহত কোনটো ক্ষেত্ৰত দ্ৰুত কাৰ্য্য-ব্যৱস্থা লোৱাৰ লক্ষণ দেখা গৈছে?

চলিত বছৰত অপ্ৰতিহত দ্ৰুতগতিৰে যিকেইটা ঘটনা ভয়ঙ্কৰ পৰিণামৰ ফালে আগবাঢ়িছে, সেই

কেইটা হ'ল, মূল্য-বৃদ্ধি, উৎপাদনৰ নিম্নগতি, মুদ্রাস্ফীতি আৰু নিবনুৱাৰ সংখ্যা বৃদ্ধি। ইতিমধ্যে চৰকাৰীভাৱেই স্বীকৃত হৈছে যে নিত্য-ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্য ১৯৭২ চনতেই আটাইতকৈ বেছিকৈ বৃদ্ধি পাইছে; ১৯৭১ চনতকৈয়ো এই মূল্য-বৃদ্ধিৰ পৰিমাণ শতকৰা ১০ ভাগ বেছি। ১৯৫১-৫২ চনৰ তুলনাত বস্তুৰ দাম শতকৰা ১৬০ ভাগ বৃদ্ধি পাইছে। ১৯৬৭-৬৮ চনৰ তুলনাত কাপোৰৰ দাম বাঢ়িছে শতকৰা ১৩ ভাগ, জোতাৰ দাম শতকৰা ২৬ ভাগ, দাহ্য-পদাৰ্থৰ দাম শতকৰা ২৩ ভাগ, চিকিৎসাৰ খৰচ শকতৰা ৩৭ ভাগ, ল'ৰা-ছোৱালীৰ শিক্ষাৰ খৰচ ১৮ ভাগ আৰু ঘৰ-ভাৰা শতকৰা ১৫ ভাগ। ১৯৭১ চনৰ তুলনাত কেৱল খাদ্য-শস্যৰ দামেই বাঢ়ি গৈছে শতকৰা ১৬.৫ ভাগ। অৱশ্যে আলোচ্য বছৰত এই ভীষণ মূল্য-বৃদ্ধিৰ যে যুক্তিগত কাৰণ নাই এনে নহয়। বাংলাদেশৰ যুদ্ধৰ উপৰিও এই বছৰৰ আৰম্ভণিতে হোৱা দীঘলীয়া খৰাং বতৰে প্ৰায় ৭০ লাখ টন খাৰিফ শস্যৰ সম্ভাৱনা সমূলি নষ্ট কৰে, আৰু তাৰ ফলত দেশে খাদ্যৰ ক্ষেত্ৰত স্বাবলম্বিতা অৰ্জন কৰাৰ আশা সম্পূৰ্ণভাৱে বিনষ্ট হৈ যায়। কিন্তু এই এটা ঘটনাৰ মাজতে ঔদ্যোগিক উৎপাদনৰ স্থবিৰতা, অপ্ৰতিহত মুদ্ৰা-স্ফীতি আৰু নিবনুৱাৰ সংখ্যা বৃদ্ধিৰ ব্যাখ্যা বিচাৰিলে সি কেৱল আত্ম-প্ৰতাৰণাৰ নামান্তৰ হ'ব। তাৰ কাৰণ বিচাৰিব লাগিব চৰকাৰৰ অৰ্থনৈতিক নিয়মানুবৰ্তিতা আৰু অনুশাসনৰ অভাৱ, আপোচকামী মনোভাৱ, প্ৰশাসনিক ব্যৰ্থতা আৰু সামগ্ৰিকভাৱে নীতিগত উদ্দেশ্য-হীনতা আৰু কিং-কৰ্তব্যবিমূঢ়তাৰ মাজত। আজি দেশৰ প্ৰধান সমস্যা হৈছে উৎপাদন বৃদ্ধিৰ সমস্যা। চৰকাৰী ধন-যোগান আৰু প্ৰকৃত উৎপাদনৰ মাজত থকা ক্ৰমবৰ্ধমান ব্যৱধান দূৰ কৰিব নোৱাৰিলেকে মুদ্ৰা-স্ফীতিজনিত দুৰাৰোগ্য ব্যাধিৰ কবলৰ পৰা দেশৰ অৰ্থনৈতিক জীৱন মুক্ত হোৱাৰ কোনো আশা নাই। অথচ আজি চৰকাৰৰ অৰ্থনৈতিক দিগ্‌ভ্ৰান্তি আৰু অস্থিৰ-চিত্ততাৰ আটাইতকৈ ডাঙৰ বলি হৈছে উৎপাদনৰ আঁচনিবোৰেই। তদুপৰি যি সময়ত দেশৰ কোটি কোটি মানুহ ক্ৰমবৰ্ধমান অৰ্থনৈতিক সঙ্কটৰ পাষাণ-ভাৰত পিষ্ট হৈছে, যি সময়ত সকলো অনাৱশ্যকীয় ব্যয়ৰ পথ বৰ্জন কৰি প্ৰতিটো পাতি-পইচা মূলধন সৃষ্টিৰ কাৰণে সঞ্চয় কৰাৰ ভীষণ প্ৰয়োজন হৈছে – সেই সময়ত মুষ্টিমেয় বিত্তবান মানুহৰ আৰু চৰকাৰৰ কৰ্ণধাৰসকলৰ জীৱন-যাপনৰ বাদছাহী চালৰ বিন্দু মাত্ৰ সৰ্লনি হোৱা নাই। কংগ্ৰেছৰেই এজন শীৰ্ষস্থানীয় নেতা শ্ৰীচন্দ্ৰশেখৰে কৈছে : "কংগ্ৰেছৰ ঐতিহাসিক বিভাজনৰ পিচত বোম্বাইত অনুষ্ঠিত কংগ্ৰেছৰ অধিবেশনত চৰকাৰৰ নেতাসকলে সকলো ব্যয়-বাহুল্য বৰ্জন কৰি অনাড়ম্বৰ আৰু মিতব্যয়ী জীৱন যাপন কৰিব লাগে বুলি প্ৰস্তাৱ লোৱা হৈছিল; কিন্তু তাৰ পিচৰপৰা দেশৰ এজন মন্ত্ৰীৰো ঘৰৰপৰা এখনো কাৰ্পেট আঁতৰ কৰা হৈছেনে?" – দেশৰ অৰ্থ সঙ্কটৰ আৰু এটা ডাঙৰ কথা হ'ল বিপুল পৰিমাণৰ ক'লা টকা। কিন্তু নিজকে প্ৰগতিশীল বুলি পৰিচয় দিয়া নতুন কংগ্ৰেছে ক'লা টকাৰ বজাৰ বন্ধ কৰিবলৈ চেষ্টা কৰা দূৰৰ কথা – নিৰ্বাচন যুদ্ধত কোটি কোটি ক'লা টকাৰ সহায় লৈ ই ক'লা টকাৰ সমান্তৰাল চৰকাৰক নতুনকৈ আয়ুস দিলে বুলিহে সন্দেহ হোৱাৰ কাৰণ ঘটিছে।

শ্ৰীমতী গান্ধীয়ে কেইমাহমানৰ আগতে কৈছিল – তেওঁ বোলে দেশৰপৰা বহু পৰিমাণে দাৰিদ্ৰ্য দূৰ হৈছে বুলি অনুভৱ কৰে; অৱশ্যে তাৰ প্ৰমাণ স্বৰূপে তেওঁৰ হাতত কোনো তথ্য-পাতি বা পৰিসংখ্যা নাই, তেওঁৰ তেনে অনুভূতিৰ ভিত্তি হ'ল তেওঁৰ intution বা সংজ্ঞাতীত বোধশক্তি। শ্ৰীমতী গান্ধীয়ে তেওঁৰ intution-ৰ দ্বাৰা যিহকেই অনুভৱ নকৰক, দেশৰ কোটি কোটি দৰিদ্ৰ জনতাই নিজৰ বাস্তৱ অভিজ্ঞতাৰ দ্বাৰাই এই কথাহে অনুভৱ কৰিছে যে ক্ৰমবৰ্ধমান অভাৱ, অনাটন আৰু মূল্য-বৃদ্ধিৰ বলে নোৱৰা বোজাই সাধাৰণ মানুহৰ জীৱন দিনে দিনে দুঃসহ কৰি তুলিছে; এই অৰ্থনৈতিক সঙ্কটৰ পিটনিৰপৰা উদ্ধাৰ পোৱাৰ প্ৰতিটো চেষ্টাই দেশখনক বেছিকৈহে ভললৈ নমাই নিছে। একে আষাৰে ক'বলৈ গ'লে জনসাধাৰণৰ

অৰ্থনৈতিক মুক্তিৰ সংগ্ৰামৰ ইতিহাসত শ্ৰীমতী ইন্দিৰা গান্ধীৰ কংগ্ৰেছেও এতিয়ালৈকে কোনো নতুন অধ্যায়ৰ সূচনা কৰিব পৰা নাই। কংগ্ৰেছৰ ৰাজনৈতিক চিত্ৰখনৰ কথা যিমানেই কম কোৱা হয় সিমানেই ভাল। সোণ-চৰোৱা তামৰ দৰে গাত নতুন ৰহণ সানি নিজকে প্ৰগতিশীল বুলি চিনাকি দিয়া কংগ্ৰেছৰ বাহ্যিক উজ্জ্বলতাখিনি বাস্তৱৰ ঘঁহনি লাগি ইতিমধ্যেই নোহোৱা হৈ গৈছে; এতিয়া তাৰ যিটো ৰূপ ওলাই পৰিছে, তাৰ লগত বিভাজনৰ পূৰ্বৰ কংগ্ৰেছৰ বিশেষ পাৰ্থক্য একো নাই। নিজৰ প্ৰতিটো ব্যৰ্থতাৰ কাৰণে অজুহাত আৱিষ্কাৰৰ চেষ্টা, ক্ষমতাৰ কাৰণে খোৱা-কামোৰা, উপদলীয় সংঘাত, যেয়ে যিমান পাৰে জাল সদস্য ভৰ্তি কৰি ক্ষমতাৰ দুৰ্গ দখল কৰাৰ চেষ্টা, দিনৰ পোহৰত সমাজবাদী বুলি দেখুৱাই ৰাতিৰ আন্ধাৰত ধনী মহাজনৰ লগত গোপন মিতিৰালি— পুৰণি কংগ্ৰেছৰ সকলো দুৰ্লক্ষণেই নতুন কংগ্ৰেছৰ গাতো সমানে বিদ্যমান। মুঠতে তিনিবছৰৰ আগতে নতুন কংগ্ৰেছে জনসাধাৰণৰ আশা আৰু উৎসাহৰ নুমাই অহা জুইকুৰা যিভাৱে দপ্‌দপাই জ্বলাই তুলিছিল, এতিয়া সি পুনৰ নুমাই গৈ ভস্মাৱশেষত পৰিণত হ'বৰ উপক্ৰম হৈছে।

এনে এক নৈৰাশ্য আৰু মোহ-ভঙ্গৰ পটভূমিত যোৱা ২৫ ডিচেম্বৰৰপৰা কলিকতাত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ বাৰ্ষিক অধিবেশন আৰম্ভ হৈছে। কংগ্ৰেছে যদি নিৰ্মমভাৱে আত্ম-সমালোচনা কৰি শুদ্ধ পথ ল'বলৈ এতিয়াও চেষ্টা নকৰে, তেন্তে এইবাৰ বোধহয় অদূৰ ভৱিষ্যতত এটা বিৰাট সামাজিক ভূমিকম্প অনিবাৰ্য্য হৈ উঠিব; তাৰ পিচত আৰম্ভ হ'ব আগ্নেয়গিৰিৰ উদ্‌গীৰণ। ভাৰতবৰ্ষত সদ্যহতে সৰ্বহাৰাৰ বিপ্লৱ হোৱাৰ কোনো সম্ভাৱনা নাই; কিন্তু মধ্যবিত্ত শ্ৰেণীৰ দ্বাৰাই শাসিত ভাৰতবৰ্ষত মধ্যবিত্ত শ্ৰেণীৰপৰাই উদ্ভৱ হোৱা লাখ লাখ শিক্ষিত নিবনুৱা ডেকাৰ ক্ৰোধ আৰু হতাশা লাহে লাহে এটা বাৰুদ-স্তূপত পৰিণত হ'বলৈ আৰম্ভ কৰিছে। বিচিত্ৰ আৰু অনিশ্চিত এই বাৰুদ-স্তূপৰ সম্ভাৱনা।

অতীত-মাধুৰী

'মানুহে কেৱল ৰুটী খায়েই জীয়াই নাথাকে'— বাইবেলৰ এই আপ্ত-বাক্য কেৱল ব্যক্তিৰ জীৱনতে নহয়, জাতি বা সমাজৰ জীৱনতো সমানেই সত্য। কেৱল অন্ন-চিন্তা আৰু বৈষয়িক সম্ভোগৰ বাহিৰে যি জাতিৰ কৰ্ম সাধনাৰ আন একো উদ্দেশ্য নাই, সেই জাতিৰ আধ্যাত্মিক দাৰিদ্ৰ্য সমগ্ৰ সভ্য-জগতৰ পুতৌৰ যোগ্য। ইতিহাস- চেতনা সভ্যতাৰ এটা প্ৰধান মাপ-কাঠি, কাৰণ সভ্যতাৰ সাধনা এটা বিক্ষিপ্ত তৎকালিন ঘটনা নহয়, ই অতীতৰ পৰা ভৱিষ্যতলৈকে প্ৰবাহমান এটা অখণ্ড ধাৰা। যি জাতিয়ে অতীতৰ পৰা শিক্ষা, প্ৰেৰণা আৰু আধ্যাত্মিক চেতনা আহৰণ কৰিব নোৱাৰে, সেই জাতিৰ ভৱিষ্যতৰ স্বপ্ন বা কল্পনাও অতি দৰিদ্ৰ হ'বলৈ বাধ্য।

ভাৰতবৰ্ষৰ সভ্যতা অতি প্ৰাচীন আৰু সমৃদ্ধিশালী বুলি আমি গৌৰব কৰোঁ, কিন্তু এই কথাও সত্য যে মাজতে বহু শতাব্দী ধৰি সেই গৌৰৱময় অতীত উত্তৰাধিকাৰৰ কথা আমি সমূলি পাহৰি গৈছিলোঁ। বৃটিত শাসনৰ লগে লগে যি সকল বিদেশী পণ্ডিত আমাৰ দেশলৈ আহিছিল, তেওঁলোকেহে অশেষ কষ্ট কৰি অতীতৰ ধ্বংস স্তূপ আৰু বিস্মৃতিৰ গৰ্ভৰ পৰা এটা জাতিৰ বহু হাজাৰ ব্যাপী মনুষ্যত্বৰ সাধনাৰ স্মাৰক-স্বৰূপ এই অমূল্য সম্পদবোৰ উদ্ধাৰ কৰি ভাৰতবৰ্ষৰ প্ৰকৃত ইতিহাস ৰচনা সম্ভৱপৰ কৰি তুলিলে। আজি আমাৰ ভাৰতীয় জাতীয়তাবোধৰ এটা প্ৰধান ভিত্তি হ'ল অতীত সভ্যতাৰ পুনৰুদ্‌ঘাটিত এই কীৰ্তিচিহ্ন সমূহ। আন কথাত ক'বলৈ গ'লে ভাৰতীয় নৱ-জাগৃতি আৰু জাতীয়তাবোধৰ অন্যতম প্ৰধান নিৰ্মাতা হ'ল এই বিদেশী পণ্ডিত আৰু গৱেষকসকল। অতীত গৌৰৱে যে এটা জাতিৰ প্ৰাণত কি বিপুল কৰ্মপ্ৰেৰণা সঞ্চাৰ কৰে তাৰ আৰু এটা প্ৰমাণ পোৱা গৈছে সম্প্ৰতি চীন দেশৰ অতীত-চেতনাৰ মাজত। সাম্যবাদী বিপ্লৱৰ প্ৰথম পৰ্য্যায়ৰ উন্মাদনাৰ সময়ত প্ৰাচীন চীনৰ সকলো কীৰ্তিচিহ্নকে এটা শোষক সামন্তবাদী যুগৰ অপ-কীৰ্তি বুলি ভাবিবলৈ জনসাধাৰণক শিক্ষা দিয়া হৈছিল। কিন্তু এতিয়া বাহিৰৰ পৰা সম্ভাব্য আক্ৰমণৰ ভয় প্ৰবল হৈ উঠাত চীনাসকলৰ মনত উগ্ৰ দেশ-প্ৰেম আৰু জাতীয়তাবোধৰ সৃষ্টি কৰাৰ প্ৰয়োজন অনিবাৰ্য্য হৈ পৰিছে; ফলত মাও ছে টুঙে চীন দেশৰ প্ৰাচীন সভ্যতা-সংস্কৃতি আৰু অমূল্য শিল্প-কলাৰ প্ৰতি জনসাধাৰণৰ মন আকৃষ্ট কৰিবলৈ চেষ্টা কৰিছে। চীনা জনসাধাৰণক কোৱা হৈছে যে এইবোৰ শিল্প-কলা যদিও শোষক সামন্তবাদী যুগৰ সৃষ্টি, তথাপিও সেইবোৰৰ আচল স্ৰষ্টা হ'ল চীনৰ শোষিত আৰু নিষ্পেষিত দৰিদ্ৰ জনসাধাৰণ। গতিকে তেওঁলোকে নিজৰ প্ৰাণ বিসৰ্জন দি হ'লেও চৈনিক সভ্যতাৰ সেই অমৰ কীৰ্তিচিহ্নসমূহ বাহিৰা শত্ৰুৰ আক্ৰমণ আৰু দস্যুতাৰ কৱলৰপৰা ৰক্ষা কৰা উচিত।

আজিৰ পৰা কেইবা দশকৰ আগতেই অগ্নি-কবি কমলাকান্ত ভট্টাচাৰ্য্যই তেজপুৰত অসমৰ অতীত শিল্প-সাধনাৰ প্ৰতীক-স্বৰূপ এডোখৰ শিল অবহেলাত ধূলি-লুণ্ঠিত অৱস্থাত পৰি থকা দেখি চকুলো টুকিছিল, আৰু তেওঁৰ 'পাহৰণি' নামৰ বিখ্যাত কবিতাত হৃদয়বিদাৰক বেদনা ব্যক্ত কৰিছিল। কিন্তু সেই তেতিয়াৰ পৰা বহু দশক পাৰ হৈ গ'ল, যদিও আজিও অৱস্থাৰ অকণো পৰিবৰ্তন হোৱা নাই; আজিও অসমৰ সমগ্ৰ গৌৰৱময় অতীত, অসমৰ বহু সতাব্দীৰ মনুষ্যত্বৰ সাধনাৰ সমস্ত প্ৰতীক চিহ্ন, সমস্ত প্ৰাচীন

শিল্প-কলা, ভাস্কৰ্য্য মাটিৰ তলত বা অন্ধকাৰ অৰণ্যৰ মাজত লুকাই আছে। যিবোৰ অতীত সম্পদ ভাগ-ছিগা অৱস্থাত মানুহ চকুৰ আগত আছে, সেইবোৰবো অৱস্থা হৈছে গৰুৰ আগত টোকাৰি বজোৱা বা গাহৰিৰ আগত মুক্তা চটিয়াই দিয়াৰ নিচিনা। শিল্প-কলাৰ চেতনা নোহোৱা বা মূল্য নুবুজা মানুহৰ হাতত পৰি অমূল্য শিল্প-সৌন্দৰ্য্য যুক্ত প্ৰাচীন ভাস্কৰ্য্যৰ ব্যৱহাৰ হৈছে হয়তো কাপোৰ ধোৱা পাট বা ভৰিৰ খট-খটী হিচাবে। শিল্প-চেতনাৰ এই অভাৱে অসমীয়া জাতিৰ যি ভয়ঙ্কৰ আধ্যাত্মিক দাৰিদ্ৰ্যৰ কথা প্ৰমাণ কৰিছে তাৰ কোনো তুলনা নাই।

অসমৰ শাসকবৰ্গও যে কিমান সংস্কৃতি-বিমুখ আৰু অশিক্ষিত তাৰ প্ৰমাণ পোৱা যায় অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণৰ প্ৰতি তেওঁলোকৰ অবিশ্বাস্য উদাসীনতাত। বছৰৰ ভিতৰত মাত্ৰ এদিন বা দুদিন ব্যৱহাৰ কৰিবলৈ লাখ লাখ টকা খৰচ কৰি প্ৰাসাদোপম গেষ্টহাউচ নিৰ্মাণ কৰিবলৈ বা অন্যান্য বিভিন্ন উপায়েৰে কোটি কোটি টকাৰ অপচয় কৰিবলৈ তেওঁলোকৰ টকাৰ অভাৱ নাই, কিন্তু টকাৰ অভাৱত অসমৰ ৰাজ্যিক সংগ্ৰহালয়টো আজিলৈকে সম্প্ৰসাৰিত কৰিব পৰা হোৱা নাই। ফলত অমূল্য প্ৰাচীন কীৰ্তিচিহ্নসমূহ গুদাম ঘৰত দ'ম কৰি থোৱাৰ নিচিনাকৈ এনি-তেনি পেলাই থ'ব লগা হৈছে। খনন কাৰ্য্য কৰিবলৈ টকা নাই, জৰীপ কৰিবলৈ টকা নাই, গৱেষণা কৰিবলৈ টকা নাই। অন্যান্য বহুতো ৰাজ্যই নিজ নিজ অঞ্চলৰ প্ৰাচীন কীৰ্তিচিহ্ন আৰু মূৰ্তিসমূহৰ প্লাষ্টাৰ কাষ্টিং কৰি বিক্ৰী কৰি অজস্ৰ ধন ঘটাৰ লগতে নিজ নিজ ৰাজ্যৰ প্ৰাচীন শিল্প-ঐশ্বৰ্য্যৰ দেশে-বিদেশে প্ৰচাৰ কৰিছে; আমাৰ ৰাজ্যত সেইবোৰ কথা ভাবিবলৈ কোনো মানুহ নাই। পুৰাতত্ত্ব আৰু সংগ্ৰহালয় বিভাগৰ কাৰণে বছৰি যি ব্যয়-মঞ্জুৰী ধাৰ্য্য কৰা হয় সিও তেনেই অকিঞ্চিৎকৰ। বিধান সভাত ৰাইজৰ প্ৰতিনিধিসকলেও এই ক্ষেত্ৰত অমাৰ্জনীয় সাংস্কৃতিক চেতনাৰ অভাৱৰ পৰিচয় দিছে। কিন্তু শাসকসকল অজ্ঞ বা অচেতন হ'ল বুলিয়েই শিল্প-চেতনা-সম্পন্ন সংস্কৃতি চৰ্চাকাৰী লোকসকল নিষ্ক্ৰিয় বা নিৰ্বিকাৰ হৈ থকা উচিত নহয়। তেওঁলোকে শাসকসকলক শিক্ষিত আৰু সচেতন কৰি তুলিবলৈ চেষ্টা কৰা উচিত। অসমৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ উদ্ধাৰ, সংৰক্ষণ আৰু গৱেষণাৰ কাৰণে চাৰকাৰী বাজেটত যাতে বেছি ধন মঞ্জুৰী কৰা হয় তাৰ কাৰণে সংশ্লিষ্ট সকলো মহলে চেষ্টা কৰা উচিত। ধনৰ নাটনি আমাৰ সদায়েই আছে। কিন্তু সকলো সীমাবদ্ধতাৰ ভিতৰতো আমি কি কি বিষয়ত অগ্ৰাধিকাৰ দিব খোজোঁ তাৰ মাজেদিয়ে ফুটি উঠিব আমাৰ সাংস্কৃতিক চেতনাৰ মানদণ্ড। মেটাৰনিকে কৈছিল— 'যি সকল লোকে নিজে ইতিহাস সৃষ্টি কৰে তেওঁলোকৰ ইতিহাস লিখিবলৈ সময় নাই।' অসমৰ শাসকবৰ্গও হয়তো ইতিহাস সৃষ্টিৰ কামত অতিশয় ব্যস্ত। কিন্তু তেওঁলোকে ইতিহাস লিখিব নালাগে, আমাৰ পূৰ্ব পুৰুষে শিল্প-কলা আৰু ভাস্কৰ্য্যৰ মাজত যি অবিনাশী ইতিহাস সৃষ্টি কৰি থৈ গৈছে সেইখিনিৰ উদ্ধাৰ আৰু সংৰক্ষণ কৰাটো নিশ্চয় তেওঁলোকৰ অৱশ্য-পালনীয় কৰ্তব্য।

গুৱাহাটী বিশ্ববিদ্যালয় ঃ প্ৰথম পঁচিশটা বছৰ

অহা ২৬ জানুৱাৰীৰ দিনা গুৱাহাটী বিশ্ববিদ্যালয়ে পঁচিশ বছৰ সম্পূৰ্ণ কৰি ৰূপালী জয়ন্তী উৎসৱ পালন কৰিব। ই যদি কেৱল বিচুৰেল বা উৎসৱৰ দিন নহৈ অতীত কাৰ্য্যাৱলীৰ মূল্যায়ন আৰু ভৱিষ্যতৰ কাৰণে নতুন সংকল্প গ্ৰহণৰ দিন হিচাবে উদ্‌যাপিত হয়, তেতিয়াহে এই দিনটো তাৎপৰ্য্যপূৰ্ণ দিন হিচাবে বিবেচিত হ'ব।

ভাৰতৰ সমগ্ৰ শিক্ষা-ব্যৱস্থাই আজি বহুদিন ধৰি বিতৰ্ক আৰু সমালোচনাৰ বিষয় হৈ আহিছে। এই সম্পৰ্কে যোৱা পঁচিশ বছৰ ধৰি চলা অন্তহীন বিতৰ্কৰ আজিও ওৰ পৰা নাই, আৰু আজিও এটা আদৰ্শ শিক্ষা-নীতি উদ্ভাৱিত হোৱা নাই। গতিকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাফল্য আৰু ব্যৰ্থতাৰ খতিয়ান ল'বলৈ গৈ শিক্ষা সম্পৰ্কীয় মৌলিক প্ৰশ্নৰ অৱতাৰণা কৰি একো লাভ নাই। প্ৰচলিত ব্যৱস্থা বা কাঠামোৰ ভিতৰতে গুৱাহাটী বিশ্ববিদ্যালয়ে নিজৰ্ ভূমিকা কিভাৱে পালন কৰিছে— বৰ্তমানৰ কাৰণে সেইটোৱেই আমাৰ প্ৰধান বিচাৰ্য্য বিষয় হোৱা উচিত।

প্ৰথমতে স্বীকাৰ কৰি লোৱা উচিত হ'ব যে গুৱাহাটী বিশ্ববিদ্যালয়ে তাৰ প্ৰাথমিক দায়িত্বখিনি পালন কৰাত কৃতকাৰ্য্য হৈছে। অসমত উচ্চশিক্ষাৰ প্ৰসাৰ আৰু পৰিৱেশ সৃষ্টিৰ কাৰণে এটা কেন্দ্ৰীয় চালিকা শক্তি হিচাবে নিজস্ব এটা বিশ্ববিদ্যালয়ৰ প্ৰয়োজন আছিল অনিবাৰ্য্য; গুৱাহাটী বিশ্ববিদ্যালয়ে সেই প্ৰয়োজন পূৰ কৰিছে। ভাৰতৰ অন্যান্য বহুতো বিশ্ববিদ্যালয়ৰ তুলনাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাদান আৰু মানদণ্ডও সাধাৰণভাৱে সন্তোষজনক। ভাৰতৰ বহুতো বিশ্ববিদ্যালয়ত সম্প্ৰতি যি বিশৃংখলা আৰু অৰাজকতা বিৰাজ কৰিছে আৰু যাৰ ফলত বছৰটোৰ ভিতৰত মাত্ৰ আশী বা নব্বৈটা দিন বিশ্ববিদ্যালয় খোলা ৰাখিব পাৰিলেও গুৱাহাটী বিশ্ববিদ্যালয়ে গভীৰ আত্মপ্ৰসাদ লাভ কৰে— তুলনামূলকভাৱে গুৱাহাটী বিশ্ববিদ্যালয় তেনে অসুস্থ পৰিৱেশৰ পৰা মুক্ত। গতিকে সম্পূৰ্ণ নেতি-বাচক বিচাৰত ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ মাজত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থান তেনেই নগণ্য নহয়, বা ইয়াৰ অস্তিত্বৰ সাৰ্থকতাও সম্পূৰ্ণ উপেক্ষণীয় নহয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ যিখিনি ব্যৰ্থতা— সি সামগ্ৰিকভাৱে ভাৰতীয় জ্ঞান-চৰ্চা বা শিক্ষা-ব্যৱস্থাৰ ব্যৰ্থতাৰেই অংশ মাত্ৰ। এই বিষয়ে বেলেগে বহলাই আলোচনা নকৰি ১৯৭২ চনৰ ১৮ নবেম্বৰ তাৰিখে দিল্লীত অনুষ্ঠিত এখন চেমিনাৰত অধ্যাপক শ্ৰীএচ. ডি. ডুবেই 'উচ্চ-শিক্ষা : সামাজিক পৰিবৰ্তন আৰু ৰাষ্ট্ৰীয় উন্নয়ন"— শীৰ্ষক প্ৰবন্ধত যিকেইটা সমস্যাৰ কথা উল্লেখ কৰিছিল সেই কেইটাৰ পুনৰুক্তি কৰিলেই যথেষ্ট হ'ব। অধ্যাপক ডুবেৰ মতে ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ প্ৰধান ব্যৰ্থতা হ'ল এয়েই যে ই সম্পূৰ্ণভাৱে পৰিবৰ্তন-বিমুখ আৰু আধুনিক জীৱনৰ প্ৰয়োজনবোধৰ প্ৰতি সমূলি উদাসীন। উচ্চ-শিক্ষাৰ প্ৰকৃত উদ্দেশ্যৰ কথা বিস্মৃত হৈ ভাৰতীয় বিশ্ববিদ্যালয়সমূহ স্থিতাৱস্থা বা আৱয়ৱিক ৰূপটোৰ সংৰক্ষণৰ কামতেই প্ৰধানকৈ ব্যস্ত। শিক্ষাদানৰ উদ্দেশ্যও ছাত্ৰসকলৰ চিন্তা-শক্তি বা সৃষ্টি-প্ৰতিভা উদ্দীপিত কৰাটো নহয়; একমাত্ৰ উদ্দেশ্য হ'ল Information capsule হস্তান্তৰ কৰা। ফলত ভাৰতৰ সমগ্ৰ উচ্চ-শিক্ষা ব্যৱস্থাই উদ্দেশ্যহীন নিষ্প্ৰাণ বিচুৰেলত পৰিণত হৈছে। বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমো এটা ধৰাবন্ধা পেটাৰ্ণৰ মাজত বন্দী; ছাত্ৰসকলৰ

বিষয়-নিৰ্বাচনৰ পৰিসৰ তেনেই সঙ্কীৰ্ণ আৰু প্ৰথাসিদ্ধ গণ্ডীৰ মাজত আবদ্ধ। শিক্ষাৰ উদ্দেশ্য হোৱা উচিত সমস্যা-সমাধানক্ষম যোগ্যতাৰ সৃষ্টি কৰা; কিন্তু তাৰ পৰিবৰ্তে ভাৰতীয় বিশ্ববিদ্যালয়সমূহে সৃষ্টি কৰিছে কেৱল Degree flourishing hordes। ফলত সমগ্ৰ ভাৰতীয় শিক্ষা-ব্যৱস্থাই সমস্যা-সমাধানক্ষম সঁজুলিত পৰিণত হোৱাৰ পৰিবৰ্তে আজি হৈ পৰিছে কেৱল সমস্যা সৃষ্টিকাৰী যন্ত্ৰ-বিশেষ। ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ আৰু এটা প্ৰধান সমস্যা হৈছে High calibre management বা উচ্চ-স্তৰৰ যোগ্যতাসম্পন্ন পৰিচালকৰ অভাৱ। অতিশয় জটিল আৰু সমস্যাকীৰ্ণ আধুনিক শিক্ষা-ব্যৱস্থাৰ ক্ষেত্ৰত নেতৃত্ব দিবলৈ যি ধৰণৰ উচ্চ-স্তৰৰ যোগ্যতাৰ প্ৰয়োজন, তেনে যোগ্যতাৰ অভাৱেও ভাৰতীয়া শিক্ষা-ব্যৱস্থা পঙ্গু কৰি তুলিছে।

ভাৰতৰ জ্ঞান-চৰ্চা আৰু বৌদ্ধিক পৰিৱেশ সম্পৰ্কে অধ্যাপক ডুবেই যিকেইটা সমস্যাৰ কথা উল্লেখ কৰিছে তাৰে কেতবোৰ সমস্যাৰ ৰূপ হয়তো বিশ্বজনীন। অতি কম সময়ৰ ভিতৰতে সাৰ্বজনীন শিক্ষাৰ বিপুল প্ৰসাৰ, জ্ঞান-বিজ্ঞানৰ অবিশ্বাস্য শাখা বৃদ্ধি আৰু তথ্যৰ বিস্ফোৰণ— এই আটাইকেইটা কথা একে সময়তে লগ লাগি শিক্ষাবিদসকলৰ সমস্যা অতিশয় দুৰূহ আৰু জটিল কৰি তুলিছে। ভাৰতৰ কথা দূৰতে থাকক— আমেৰিকাৰ নিচিনা উন্নত আৰু সমৃদ্ধিশালী দেশৰ শিক্ষাবিদেও ক'বলৈ বাধ্য হৈছে ঃ

The nation's univeristies have become mirrors of confusion rather then beacons of light. We have confused science with information, ideas with facts, knowledge with miscellaneous data. As the Renaissance could accuse the Middle Ages of being rich in principle and poor in facts, so we are entittled to enquire whether we are not rich in facts and poor in principle (Robert M. Hutchins) শিক্ষানীতিৰ এই সঙ্কট আধুনিক যুগৰ এটা সহজাত অনিবাৰ্য্য সমস্যা, আৰু তাৰ সমাধানৰ কাৰণেও সমগ্ৰ বিশ্বৰ শিক্ষাবিদসকলৰ যৌথ-প্ৰচেষ্টাৰ প্ৰয়োজন হ'ব।

প্ৰচলিত শিক্ষা-ব্যৱস্থাৰ এই সামগ্ৰিক পটভূমিৰ পৰা বিচ্ছিন্ন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা বিচাৰ কৰিব নোৱাৰি। কিন্তু এই সকলোবোৰ কথা মনত ৰাখিও আমি প্ৰশ্ন কৰিব লাগিব ঃ সমস্ত সীমাবদ্ধতাৰ ভিতৰত থাকিও ভাৰতৰ তথা পৃথিৱীৰ অন্যান্য বিশ্ববিদ্যালয়সমূহে মানৱ জাতিৰ জ্ঞান-ভাণ্ডাৰলৈ যি পৰিমাণে বৰঙণি আগবঢ়াব পাৰিছে, তাৰ তুলনাত গুৱাহাটী বিশ্ববিদ্যালয়ে নিজস্ব কিবা বৰঙণি আগবঢ়াই নিজৰ অস্তিত্বৰ সাৰ্থকতা প্ৰতিপন্ন কৰিব পাৰিছেনে? Degree flourishing horde সৃষ্টি কৰাৰ বাহিৰে এই বিশ্ববিদ্যালয়ে অসমত বৌদ্ধিক সাধনাৰ উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব পাৰিছেনে? সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু বৈজ্ঞানিক সমস্যা সমাধানত ই কিবা সহায় কৰিব পাৰিছেনে? এই পঁচিশ বছৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কিবা নিজস্ব চৰিত্ৰ গঢ় লৈ উঠিছেনে?

কোৱা বাহুল্য মাথোন যে এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পক্ষে বিশেষ যশস্যা-জ্ঞাপক নহ'ব। এখন বিশ্ববিদ্যালয়ৰ নিম্নতম প্ৰাথমিক দায়িত্বখিনি পালন কৰাৰ বাহিৰে গুৱাহাটী বিশ্ববিদ্যালয়ে সামাজিক দায়বদ্ধতাৰ কোনো উল্লেখযোগ্য পৰিচয় আৰু বৌদ্ধিক উৎকৰ্ষৰ নতুন মানদণ্ড প্ৰতিষ্ঠা কৰিব পৰা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমৰ জনসাধাৰণৰ প্ৰধান প্ৰত্যাশা আছিল এয়েই যে ই অসমৰ ভাষা-সংস্কৃতি চৰ্চা আৰু বিকাশত সক্ৰিয় আৰু সৃষ্টিশীল ভূমিকা গ্ৰহণ কৰিব। কিন্তু সেই আশা এতিয়াও পূৰণ হোৱা নাই। অসমীয়া ভাষা-সংস্কৃতিৰ চৰ্চা আৰু গৱেষণাৰ ক্ষেত্ৰত এই বিশ্ববিদ্যালয়ৰ দৃষ্টিভঙ্গী অতীতমুখী আৰু সংৰক্ষণকামী, ভৱিষ্যতমুখী আৰু বিকাশকামী নহয়। গৱেষণা আৰু পাঠ্যক্ৰম উভয়ক্ষেত্ৰতে

ই অতীতবিলাসী, ঐতিহ্যবাদী আৰু আধুনিকতাবিমুখ। ফলত সমসাময়িক জীৱন, চিন্তাধাৰা আৰু প্ৰয়োজনৰ লগত ই নিঃসম্পৰ্কিত আৰু অসংলগ্ন। (গুৱাহাটী বিশ্ববিদ্যালয়ে এতিয়াও অসমীয়া ভাষা-সাহিত্যৰ বিষয়ে অসমীয়া ভাষাত গৱেষণা-গ্ৰন্থ লিখিবলৈ নিদিয়ে। অসমীয়া সাহিত্যৰ সমগ্ৰ আধুনিক যুগ গৱেষণাৰ কাৰণে নিষিদ্ধ-বস্তু। কেইবছৰমানৰ আগতে এজন অসমীয়া অধ্যাপকে আধুনিক অসমীয়া কবিতাৰ বিষয়ে গৱেষণা কৰিবলৈ বিচাৰিছিল, কিন্তু তেওঁক অনুমতি দিয়া নহ'ল। কিন্তু এজন আমেৰিকান গৱেষকে ৰবীন্দ্ৰোত্তৰ যুগৰ আধুনিক বাঙালী কবি জীৱনানন্দ দাসৰ বিষয়ে গৱেষণা কৰি আছে, আৰু তেওঁৰ সম্পৰ্কে তথ্য-পাতি বিচাৰি সম্প্ৰতি কলিকতা পাইছেহি। বিশ্ববিদ্যালয়ৰ ৰাজনীতি, অৰ্থনীতি, নৃ-তত্ত্ব আদি সমাজ-বিজ্ঞানৰ অন্তৰ্গত বিভিন্ন বিভাগসমূহে উচ্চস্তৰৰ তাত্ত্বিক অনুশীলন কৰা দূৰৰ কথা— অসমৰ সমস্যাসমূহৰ অধ্যয়ন আৰু সমাধানতো বিশেষ একো উল্লেখযোগ্য ভূমিকা ল'ব পৰা নাই। এই ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পণ্ডিতসকলে কৰা কাম ঘাইকৈ তথ্যাহৰণধৰ্মী আৰু বিবৰণমূলক, নতুন আলোক-সম্পাতক নহয়। আন্তৰ্জাতিক মানদণ্ডত ভাৰতীয় বিজ্ঞান-চৰ্চা এতিয়াও বহুত তলত পৰি আছে; অসমৰ বিজ্ঞান-চৰ্চা ভাৰতীয় মাপ-কাঠিৰেও নিম্ন-মানদণ্ডবিশিষ্ট। এচিয়াৰ বৌদ্ধিক জীৱন সম্পৰ্কে বিশেষভাৱে অনুশীলন কৰা পণ্ডিত অধ্যাপক এডৱাৰ্ড শ্বিলৰ মতে জাপানৰ বাহিৰে এচিয়াৰ বাকী ভূ-খণ্ডত জ্ঞান-চৰ্চা Creative বা সৃজনধৰ্মী নহয়, ই ঘাইকৈ Reproductive বা পুনৰুৎপাদনধৰ্মী। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত এই উক্তি অধিকভাৱে প্ৰযোজ্য।

জ্ঞান-চৰ্চাৰ ক্ষেত্ৰত সকলোবোৰ ব্যৰ্থতাৰ কাৰণ স্বৰূপে ধনৰ অভাৱৰ অজুহাত দেখুওৱাটো আমাৰ এটা লেতেৰা স্বভাৱত পৰিণত হৈছে। মন থাকিলে ধনৰ অভাৱ সকলো ক্ষেত্ৰতে হেঙাৰ হৈ থিয় [illegible] নোৱাৰে। মুখৰ কথা যে ভাৰতৰ শিক্ষা-মন্ত্ৰণালয়েও সেই কথা সম্প্ৰতি স্বীকাৰ কৰিছে।

ইয়াৰ পিচৰ অংশখিনি সংগ্ৰহ কৰিব পৰা নগ'ল।

মন্ত্ৰী আৰু সংস্কৃতি

আজি কেইবা বছৰ ধৰি অসমত একোখন ৰাজ্যিক নাট-মহোৎসৱ প্ৰতি বছৰে অনুষ্ঠিত হৈ আহিছে। আগতে এই মহোৎসৱৰ গুৰি ধৰিছিল তথ্য আৰু জনসম্পৰ্কৰক্ষী বিভাগে। যোৱা বছৰ সাংস্কৃতিক পৰিক্ৰমা দপ্তৰ নামেৰে এটা নতুন দপ্তৰ গঠন কৰা হৈছে, আৰু স্বাভাৱিকতেই এই বছৰত অনুষ্ঠিত হ'ব লগা আগন্তুক নাট-মহোৎসৱৰ পৰিচালনাৰ দায়িত্ব লৈছে নৱ-গঠিত সাংস্কৃতিক পৰিক্ৰমা বিভাগে।

নাট মহোৎসৱৰ নিয়মাৱলী অনুসৰি প্ৰতিযোগিতাত যোগ দিবলৈ ইচ্ছা কৰা প্ৰতিটো দলে তেওঁলোকে মঞ্চস্থ কৰিব খোজা নাটকখন আগতীয়াকৈ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ওচৰত দাখিল কৰিব লাগে। উপযুক্ত নাটক বাছি উলিয়াবলৈ চৰকাৰে পাতি দিয়া এখন বাছনি কমিটী আছে। এই বাছনি কমিটীয়ে যি কেইখন নাটক অনুমোদন কৰি দিয়ে, কেৱল সেই কেইখন নাটকহে ৰাজ্যিক নাট-মহোৎসৱত মঞ্চস্থ কৰিবলৈ দিয়া হয়।

এইবাৰৰ বাছনি কমিটীয়ে এটা ডাঙৰ কাণ্ড কৰিছে। ডিগবৈৰ ইণ্ডিয়া ক্লাবে 'বাঘ' নামৰ এখন নাটক প্ৰতিযোগিতাত মঞ্চস্থ কৰিবলৈ মন কৰি বাছনি কমিটীৰ ওচৰত নাটকখন দাখিল কৰিছিল। নাটকখনৰ ৰচয়িতা হ'ল শ্ৰীহিমেন্দ্ৰ কুমাৰ বৰঠাকুৰ। এইখিনিতে উল্লেখযোগ্য যে উক্ত নাটকখনে ১৯৭২ চনত তাৰ আগৰ তিনি বছৰৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া নাটক হিচাবে অসম সাহিত্য সভাৰ পুৰস্কাৰ লাভ কৰিছে। আকাশ বাণীৰ গুৱাহাটী কেন্দ্ৰটো অভিনীত হৈ নাটকখনে অগণন শ্ৰোতাৰ প্ৰশংসা অৰ্জন কৰিছে আৰু সমালোচকসকলৰ দ্বাৰাও অন্যতম শ্ৰেষ্ঠ অনাতাঁৰ নাটিকা ৰূপে স্বীকৃত হৈছে। মুঠতে সাম্প্ৰতিক অসমীয়া নাট্য-সাহিত্যৰ ক্ষেত্ৰত 'বাঘ' এটি বিশিষ্ট সৃষ্টি বুলি পৰিগণিত হৈছে। এনেহেন এখন নাটক— যিখন নাটক অসমৰ প্ৰধানতম সাহিত্যিক অনুষ্ঠান অসম সাহিত্য সভাৰ দ্বাৰা পুৰস্কৃত আৰু সম্মানিত হৈছে, যিখন নাটক আকাশ বাণীৰ দৰে শুচিবায়ুগ্ৰস্ত চৰকাৰী অনুষ্ঠানতো অভিনীত হৈছে, যিখন নাটক যোগ্য সমালোচকসকলৰ দ্বাৰা সম-সাময়িক কালৰ শ্ৰেষ্ঠ নাট্য-সৃষ্টি ৰূপে স্বীকৃত হৈছে— তেনে এখন নাটকো কিন্তু অসম চৰকাৰৰ দ্বাৰা আয়োজিত নাট-মহোৎসৱত মঞ্চস্থ হ'বৰ কাৰণে বাছনিত নুঠিল। বাছনি কমিটীয়ে নাটকখন নাকচ কৰিলে।

নাটকখন না-মঞ্জুৰ হোৱাৰ কাৰণ কি? সাংস্কৃতিক দপ্তৰৰ সঞ্চালকে ডিগবৈৰ ইণ্ডিয়া ক্লাবৰ সম্পাদকলৈ পঠোৱা এটা তাঁৰ-বাৰ্তাত জনোৱা হৈছে— "আপোনাসকলে যদি নাটকখনৰ ২৬ আৰু ২৭ পৃষ্ঠাত থকা মন্ত্ৰীৰ বাণী সম্পৰ্কীয় কথাখিনি বাদ দি নাটকখন মঞ্চস্থ কৰিবলৈ ৰাজী হয়, তেন্তে নাটকখনক প্ৰতিযোগিতাত যোগ দিবলৈ অনুমতি দিয়া হ'ব।" নাটকখনৰ ২৬ আৰু ২৭ পৃষ্ঠাতনো এনে কি সাংঘাতিক কথা আছে— যাৰ কাৰণে নাটকখনক চৰকাৰৰ দ্বাৰা আয়োজিত নাট-মহোৎসৱত যোগ দিবলৈ অনুমতি দিব পৰা নাযায়? তাত কি কিবা সাংঘাতিক ৰাজদ্ৰোহৰ কথা আছে? হিংসাত্মক বিপ্লৱৰ বজ্ৰবাণী আছে। আইনসঙ্গতভাৱে প্ৰতিষ্ঠিত চৰকাৰক ওফৰাই পেলাবলৈ জনতাৰ প্ৰতি আহ্বান জনোৱা হৈছে?.... নাটকখনৰ ২৬ আৰু ২৭ পৃষ্ঠাত থকা তথাকথিত 'আপত্তিমূলক' কথাখিনি হ'ল এই—

মেধি ঃ- (বাধা দি) ৰ'ব ৰ'ব, আপুনি কি পঢ়িব? এইবিলাক মিনিষ্টাৰৰ বাণী ধুনীয়াকৈ সুৰ লগাই পঢ়িব লাগে। বক্তৃতাৰ নিচিনাকৈ। চাওঁ মোক দিয়ক। শুনাইক। (পঢ়োঁ)

"হাঁহচৰা মৌজাত বাঘৰ উপদ্ৰৱৰ বাতৰি পাই অসম চৰকাৰ তথা অসম মন্ত্ৰীসভা তথা বিভাগীয় মন্ত্ৰী সকলো চিন্তিত হৈ পৰিছে। বিশ্বস্ত সূত্ৰে জানিব পৰা গৈছে যে বাঘে ইতিমধ্যে তেৰজন মানুহক আক্ৰমণ কৰিছে। তাৰে তিনিজনৰ অৱস্থা গুৰুতৰ।

নানা অনুসন্ধান কৰি চৰকাৰে জানিব পাৰিছে যে এই বাঘ হাবিৰ পৰাই আহিছে, কাৰণ চৰকাৰী চিড়িয়াখানাৰ পৰা কোনো বাঘ হেৰুওৱা নাই। হাঁহচৰা মৌজাৰ ৰাইজসকলে চিৰদিন চৰকাৰক সমৰ্থন কৰি আহিছে, আৰু এই অঞ্চলৰ পৰা সদায় চৰকাৰী পক্ষৰ এম. এল. এ. নিৰ্বাচিত হৈছে। গতিকে কোনো বিৰোধী দলৰ কৰ্মীয়ে চক্ৰান্ত কৰি এনে অৱস্থাৰ সৃষ্টি কৰিছে বুলি ভাবিবলৈ যথেষ্ট অৱকাশ আছে। চৰকাৰে এনে ৰাষ্ট্ৰবিৰোধী কাৰ্য্যক গৰিহণা দিয়ে আৰু ইয়াৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা ল'বলৈ জনসাধাৰণৰ সমৰ্থন আশা কৰে।"... ইত্যাদি।

কোৱা বহুল্য মাথোন যে 'বাঘ' এখন ব্যঙ্গাত্মক নাটক, আৰু ইয়াৰ ব্যঙ্গ-আক্ৰমণৰ লক্ষ্য হ'ল শাসন-ব্যৱস্থাৰ নানা দুৰ্নীতি আৰু অকৰ্মণ্যতা। আধুনিক সাহিত্যত ই এটা বহু-ব্যৱহৃত বিষয়-বস্তু; আধুনিক মানৱ-সমাজ আমোলাতন্ত্ৰৰ নাগপাশত যিভাৱে বন্দী তেনে এটা যুগত ইয়াৰ relevance কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আত্মাহীন আমোলাতন্ত্ৰৰ দানবীয় ৰূপে গ'গ'ল আৰু কাফ্‌কাৰ উপন্যাসত বিশ্বজনীন তাৎপৰ্য্য লাভ কৰিছে। আনকি কঠোৰ ৰাষ্ট্ৰ-নিয়ন্ত্ৰিত বৰ্তমানৰ ৰাছিয়ান সমাজ-ব্যৱস্থাতো আমোলাতন্ত্ৰ ব্যঙ্গ সমালোচনাক প্ৰশ্ৰয় দিয়া হয়। এনে এটা অৱস্থাত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা-দপ্তৰৰ নাট-বাছনি কমিটীয়ে মন্ত্ৰীৰ বিষয়ে এষাৰ ব্যঙ্গোক্তি থকাৰ কাৰণেই বিশিষ্ট সাহিত্য-সৃষ্টি বুলি পৰিগণিত এখন নাটকক ৰাজ্যিক নাট-মহোৎসৱত যোগ দিয়াৰ পৰা বঞ্চিত কৰাৰ সিদ্ধান্তই আমাৰ ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত দুৰ্যোগৰ সূচনা কৰিছে বুলি আমি ভাবোঁ।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা দপ্তৰটো চৰকাৰী প্ৰচাৰৰ বাহন নহয় বুলিয়েই আমি ভাবোঁ। ৰাজ্যখনত মুক্ত সাংস্কৃতিক বিকাশৰ উপযুক্ত পৰিৱেশ গঢ়ি তোলাই এই দপ্তৰৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। তাকে নকৰি যদি ই লিখক আৰু শিল্পীৰ মুখত লাগাম লগাবলৈ যায় বা তেওঁলোকক চৰকাৰৰ ভেৰণীয়া স্তাৱকত পৰিণত কৰিব খোজে, তেন্তে এই দপ্তৰে সাংস্কৃতিক সাধনাক শৃংখলিত কৰাৰ বাহিৰে আন একো কৰিব নোৱাৰে। Right to dessent বা মতান্তৰৰ স্বাধীনতা সভ্য সমাজৰ এটা মৌলিক সাংস্কৃতিক অধিকাৰ। এই অধিকাৰ ক্ষুণ্ণ কৰিবলৈ গৈ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা দপ্তৰে লিখক আৰু শিল্পীৰ স্বাধীনতা খৰ্ব কৰাৰ উপক্ৰম কৰিছে, আৰু নিজকো হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে। এইখিনিতে উল্লেখযোগ্য যে 'বাঘ' নাটকখনে ভাৰতীয় ৰাষ্ট্ৰৰ মৌলিক ৰাজনৈতিক দৰ্শনক আক্ৰমণ কৰা নাই (কৰাৰ অধিকাৰ সকলোৰে থকা উচিত), কেৱল মাত্ৰ আমাৰ মন্ত্ৰীসকলৰ হাস্যকৰ কাৰ্য্য-পদ্ধতি আৰু অকৰ্মণ্যতাক বিদ্ৰূপ কৰিছে। মন্ত্ৰী আৰু ৰাষ্ট্ৰ নিশ্চয় সমাৰ্থক নহয়। কিন্তু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰে মন্ত্ৰী আৰু ৰাষ্ট্ৰ সমাৰ্থক হয় বুলিয়েই ভুল কৰি নিজৰ পৰ্বত-প্ৰমাণ অজ্ঞতা আৰু নিৰ্বুদ্ধিতাৰ পৰিচয় দিছে।

নাট-বাছনি কমিটীৰ সিদ্ধান্তত চৰকাৰৰ পৰোক্ষ অদৃশ্য হাতে কাম কৰিছে বুলি ভাবিবলৈ এতিয়াও আমাৰ কোনো কাৰণ ঘটা নাই। খুব সম্ভৱ ই অতিশয় ৰাজভক্ত বাছনি কমিটীৰ বা কমিটীৰ কোনো সদস্য

বিশেষৰ নিজস্ব সিদ্ধান্ত। সেয়েই যদি হয়, তেন্তে আমি সংশ্লিষ্ট মন্ত্ৰীক এই বিষয়ত হস্তক্ষেপ কৰি বাছনি কমিটীৰ নিৰ্বোধ সিদ্ধান্ত বাতিল কৰিবলৈ অনুৰোধ কৰোঁ। অতি সোনকালে সেইটো যদি কৰা নহয়, তেন্তে শিল্পী আৰু লেখকৰ স্বাধীনতাত বিশ্বাস কৰা সকলো লোকক সাংস্কৃতিক ক্ষেত্ৰত অথবা চৰকাৰী হস্তক্ষেপৰ প্ৰতিবাদ কৰিবলৈ আমি আহ্বান জনালোঁ। কোনো এখন বিশেষ নাটকে চৰকাৰৰ দ্বাৰা আয়োজিত নাট-মহোৎসৱত যোগ দিবলৈ পালেনে নাপালে সেইটো প্ৰধান প্ৰশ্ন নহয়; ই হৈছে এটা নীতিৰ প্ৰশ্ন, আদৰ্শৰ প্ৰশ্ন। আমি অনুভৱ কৰিছোঁ যে চৰকাৰে লেখক, শিল্পী আৰু সাংবাদিকৰ স্বাধীনতা খৰ্ব কৰিবলৈ অতি কৌশলেৰে নানা চেষ্টা আৰম্ভ কৰিছে; সভ্য-সমাজৰ আটাইতকৈ মূল্যবান অধিকাৰ— Right to dissent বা মতান্তৰৰ অধিকাৰক হৰণ কৰিবলৈ চেষ্টা কৰিছে। এই চেষ্টাত ইন্ধন যোগাইছে কেতবোৰ মেৰুদণ্ডহীন আৰু বিবেকহীন আমোলাই। সময় থাকোঁতেই শিল্পী আৰু লিখকসকলে যদি ইয়াৰ প্ৰতিবাদ নকৰে, তেন্তে তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ।

সাপ্তাহিক নীলাচল, ২১৮ সংখ্যা : ৭ ফেব্ৰুৱাৰী, ১৯৭৩

অসম চৰকাৰৰ কেইটামান নতুন কাৰ্য্য-ব্যৱস্থা

অসমৰ স্থবিৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত নতুন পৰিবৰ্তন সাধন কৰাৰ প্ৰতিশ্ৰুতিৰে শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বাধীন মন্ত্ৰীসভাই অসমৰ শাসনভাৰ গ্ৰহণ কৰিছিল। ৰাইজে যি দ্ৰুত গতিৰে প্ৰতিশ্ৰুত পৰিবৰ্তন দেখিবলৈ আশা কৰিছিল, প্ৰথম কেইমাহমানত সিংহ মন্ত্ৰীসভাই সেই দ্ৰুতগতিবেগ দেখুৱাব নোৱাৰিলে। ফলত তেওঁলোক কিছু কটু সমালোচনাৰ সমুখীন হ'ব লগা হ'ল। খুব সম্ভৱ, তেওঁলোকৰ প্ৰশাসনিক অনভিজ্ঞতাই আছিল এই মন্থৰতাৰ কাৰণে প্ৰধানকৈ দায়ী। তেওঁলোকে নতুন কাম-কাজ আৰম্ভ কৰিবলৈ সাজু হওঁতেই ভাষাৰ প্ৰশ্নত অসমত ব্যাপক গণ-আন্দোলন আৰম্ভ হ'ল, আৰু দুমাহতকৈ অধিক কাল ধৰি সকলো কাম-কাজ বন্ধ থাকিল। এতিয়া ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা প্ৰায় ঘূৰি অহাৰ লগে লগে সিংহ চৰকাৰে বহুত নতুন নতুন আঁচনিৰ কথা ঘোষণা কৰিছে আৰু তেওঁলোকে কেনে পন্থাৰে অসমৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত প্ৰগতিমুখী পৰিবৰ্তন আনিব খোজে তাৰ কিছু আভাস এই ঘোষণাবোৰৰ মাজেদি ফুটি উঠিছে।

প্ৰথমেই এটা কথা স্বীকাৰ কৰি লোৱা উচিত হ'ব যে সিংহ চৰকাৰে পৰিবৰ্তনৰ ইংগিতবাহক কেতবোৰ কামত তেওঁলোকে অৰ্থনৈতিক চিন্তাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। স্বীকাৰ কৰিবই লাগিব যে বিভিন্ন ক্ষেত্ৰত স্থবিৰতাৰ অৱসান ঘটাই পৰিবৰ্তনৰ সূচনা কৰিবলৈ তেওঁলোকে এনে কিছুমান নতুন কথা চিন্তা কৰিছে— যিবোৰ কথা আগৰ শাসকসকলে চিন্তা কৰা নাছিল। মাত্ৰ যোৱা কেই সপ্তাহমানৰ তেওঁলোকে কৃষিপাম নিগম ৰূপায়ণ কৰিবলৈ অধ্যাদেশ জাৰী কৰিছে, কথাছবি পৰিষদ গঠন কৰিছে, নিগম আৰু বস্ত্ৰ-শিল্প নিগম স্থাপন কৰাৰ পৰিকল্পনা প্ৰকাশ কৰিছে, অসমৰ প্ৰায় প্ৰতিখন জিলাতে একোটাকৈ চেনি কল স্থাপন কৰাৰ সংকল্প ঘোষণা কৰিছে, ৰাজ্যিক পৰিকল্পনা পৰিষদে অসমৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান সৰ্বভাৰতীয় মানদণ্ডলৈ উন্নত কৰিবলৈ এখন পোন্ধৰ বছৰীয়া আঁচনি লোৱাৰ কথা ঘোষণা কৰিছে। ২৬ জানুৱাৰী গণৰাজ্য দিৱসৰ দিনা অসম চৰকাৰে বাৰজন বয়োবৃদ্ধ সাহিত্যিক আৰু সাংবাদিকক সাহিত্যিক পেঞ্চন দিয়াৰ কথা ঘোষণা কৰি প্ৰমাণ কৰিছে যে অৰ্থনৈতিক পুনৰ্গঠনৰ চিন্তাৰ উথল-মাথলৰ মাজতো তেওঁলোকে সাহিত্য-সংস্কৃতিৰ কথাও পাহৰি যোৱা নাই। এই সকলোবোৰ ঘোষণাই কেৱল যে জনসাধাৰণৰ মনত নতুন প্ৰত্যাশাৰেই সৃষ্টি কৰিছে এনে নহয়— ই ৰাজ্যখনত নতুন কৰ্ম-চাঞ্চল্যৰ সূচনা কৰাৰ উপৰিও নতুন নেতাসকলৰ বলিষ্ঠ চিন্তা আৰু সংকল্পৰো পৰিচয় দিছে।

অসম চৰকাৰৰ আটাইবোৰ প্ৰস্তাৱিত কাৰ্য্য-ব্যৱস্থা নীতিগতভাৱে অভিনন্দনৰ যোগ্য। সামাজিক আৰু অৰ্থনৈতিক পুনৰ্গঠনৰ প্ৰচেষ্টা কি বাটেৰে আগবঢ়া উচিত সেই সম্পৰ্কে বিতৰ্কৰ অনেক অৱকাশ থাকিব পাৰে, কিন্তু কংগ্ৰেছৰ অৰ্থনৈতিক আদৰ্শৰ লগত সঙ্গতি ৰাখি অসম চৰকাৰে যিবোৰ নতুন কাৰ্য্য-ব্যৱস্থা হাতত লৈছে সেইবোৰৰ গুৰুত্বও উপেক্ষণীয় নহয়। এইখিনি কাম হৈ উঠিলেও আৰ্থিক অনগ্ৰসৰতা আৰু স্থবিৰতাৰ বিৰুদ্ধে চলাব খোজা সৰ্বাত্মক অভিযানত যে কেইবাটাও উল্লেখযোগ্য পদক্ষেপ লোৱা হ'ব— সেই বিষয়ে কোনো সন্দেহ নাই।

কিন্তু এইখিনিতে দুটা বিশেষভাৱে মন কৰিবলগীয়া কথা আছে। প্ৰথমতে, কেৱল সাধু-সংকল্পৰ দ্বাৰাই কোনো কাম সিদ্ধ হৈ নুঠে; প্ৰত্যেকটো আঁচনি কাৰ্য্যকৰী কৰিবলৈ উপযুক্ত মানুহ লাগিব আৰু সংশ্লিষ্ট সকলো লোকৰে নিষ্ঠা আৰু সততাৰ প্ৰয়োজন হ'ব। অসমত আজি বহু বছৰ ধৰি কেইবাটাও নিগমৰ কাম চলি আছে। যিবোৰ আদৰ্শ বা লক্ষ্য চকুৰ আগত ৰাখি নতুন নিগমবোৰ গঠন কৰিবলৈ সংকল্প লোৱা হৈছে, সেই একেবোৰ আদৰ্শই আগৰ নিগমবোৰ গঠন কৰিবলৈকো নিশ্চয় প্ৰেৰণা যোগাইছিল। কিন্তু এই পুৰণি বা চলি থকা নিগমবোৰৰবেছিভাগৰে কাৰ্য্য-কলাপৰ ইতিহাস অকণো উৎসাহজনক নহয়। নতুনকৈ পাতিব খোজা নিগমবোৰে আগতে হৈ অহা ভুলৰ পৰা নিশ্চয় শিক্ষা আহৰণ কৰিব লাগিব। দক্ষতা বা যোগ্যতা সৃষ্টি কৰাটোৱেই সম্প্ৰতি আমাৰ দেশৰ এটা প্ৰধান সমস্যা। এই সমস্যা সমাধানৰ ক্ষেত্ৰত এটা প্ৰধান বাধা হ'ল প্ৰায় প্ৰতিটো নিযুক্তিৰ ক্ষেত্ৰতে যোগ্যতাতকৈ ৰাজনৈতিক বিবেচনাৰ প্ৰাধান্য। যি অনুষ্ঠান চলাবলৈ যেনেকুৱা দক্ষতাসম্পন্ন মানুহৰ প্ৰয়োজন— তাৰ প্ৰতি প্ৰায়েই লক্ষ্য নাৰাখি চৰকাৰে সাধাৰণতে ৰাজনৈতিক বিবেচনাৰে বা স্বজন-প্ৰীতিৰ বশবৰ্তী হৈ এনেবোৰ ৰাজহুৱা অনুষ্ঠানৰ কৰ্মকৰ্তা নিয়োগ কৰে। এনেকুৱা উদাহৰণো নোহোৱা নহয়— যি ক্ষেত্ৰত একো একোজন মানুহক পাঁচ-ছয়টা অনুষ্ঠানৰ মুৰব্বীৰ দায়িত্ব ল'বলৈ দিয়া হয়। ফলস্বৰূপে সেই মানুহজনে কোনো এটা অনুষ্ঠানৰ প্ৰতিয়েই সুবিচাৰ কৰিব নোৱাৰে, আনহাতে অন্যান্য সম্ভাৱনাপূৰ্ণ মানুহেও অভিজ্ঞতা অৰ্জনৰ সুবিধাৰ পৰা বঞ্চিত হয়। অনেক সময়ত কেৱল মাত্ৰ ৰাজনৈতিক বিবেচনাতে এনে একোজন মানুহক একোটা অনুষ্ঠানৰ দায়িত্ব দিয়া হয়— যি অনুষ্ঠানৰ কাম-কাজৰ লগত সেই মানুহজনৰ অতীত শিক্ষা আৰু অভিজ্ঞতাৰ কোনো সম্পৰ্ক নাই। চমুকৈ ক'বলৈ গ'লে , চৰকাৰে সাধাৰণতে এনেকুৱা ৰাজহুৱা নিগম বা অনুষ্ঠানবোৰ দলীয় সমৰ্থকসকলক ৰাজনৈতিক পুৰস্কাৰ দিয়াৰ উপায় হিচাবে ব্যৱহাৰ কৰে। ৰাজনৈতিক বিবেচনাৰ এই সৰ্বাত্মক প্ৰাধান্যই অন্যান্য ক্ষেত্ৰত যোগ্যতা অৰ্জন কৰিবলৈ মানুহক নিৰুৎসাহিত কৰে। তদুপৰি বহুতো সৎ আৰু যোগ্যতাসম্পন্ন বিষয়াও ৰাজনৈতিক নেতাৰ অকৰ্মণ্যতাৰ কাৰণেই অযথা ব্যৰ্থতাজনিত বদনামৰ ভাগী হ'ব লগা হয়। অসম চৰকাৰে যদি নতুনকৈ স্থাপন কৰিব খোজা নিগম বা অন্যান্য অনুষ্ঠানবোৰৰ পৰিচালক মণ্ডলী বাছনি কৰোঁতে এই ভুলবোৰৰ পুনৰাবৃত্তি কৰে, অৰ্থাৎ নিগমবোৰক মন্ত্ৰী পদ-বঞ্চিত দলীয় সমৰ্থকসকলৰ কাৰণে নতুন পদ-মৰ্য্যাদা বিতৰণৰ উপায় হিচাবেহে ব্যৱহাৰ কৰে, তেন্তে এই নিগমবোৰ ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ সঁজুলিত পৰিণত নহৈ ৰাজনৈতিক শক্তি-বৃদ্ধিৰ অস্ত্ৰতহে পৰিণত হ'ব আৰু ফলস্বৰূপে এই অনুষ্ঠানবোৰে তাৰ আচল উদ্দেশ্য সাধনত ব্যৰ্থ হৈ চৰকাৰক বুমেৰাঙৰ দৰে প্ৰত্যাঘাত কৰিব। এই নিগমবোৰক ৰাজনৈতিক শক্তিবৃদ্ধিৰ অস্ত্ৰ হিচাবে ব্যৱহাৰ নকৰি বিভিন্ন ক্ষেত্ৰত যোগ্যতাসম্পন্ন লোক আৱিষ্কাৰ কৰাৰ আৰু অৱহেলিত প্ৰতিভাক বিকাশৰ সুবিধা দিয়াৰ উপায় হিচাবে ব্যৱহাৰ কৰিলেহে চৰকাৰৰ সততা আৰু আন্তৰিকতা প্ৰমাণিত হ'ব।

দ্বিতীয়তে, চৰকাৰে কম সময়ৰ ভিতৰতে উপৰ্য্যুপৰি নানা চমকপ্ৰদ ঘোষণা কৰি এনে এটা অৱস্থাৰ সৃষ্টি কৰিছে যে মানুহে চৰকাৰৰ পুৰণি ঘোষণাবোৰৰ লেখ ল'বলৈ পাহৰিয়েই গৈছে। কেৱল নতুন নতুন ঘোষণাই যথেষ্ট নহয়; ইতিমধ্যে ঘোষণা কৰা সংকল্পবোৰ কাৰ্য্যকৰী কৰি গ'লেহে চৰকাৰৰ দক্ষতা আৰু আন্তৰিকতাই ৰাইজৰ আস্থা অৰ্জন কৰিব পাৰে। উদাহৰণ স্বৰূপে কৃষিপাম নিগম স্থাপন কৰাৰ উদ্দেশ্য ব্যাখ্যা কৰি কোৱা হৈছিল যে মাটিৰ সৰ্বোচ্চ সীমা-নিৰূপন সংশোধিত আইনখন কাৰ্য্যকৰী কৰাৰ ফলত

যি উদ্বৃত্ত মাটি চৰকাৰৰ হাতলৈ আহিব- সেই মাটিত খেতি কৰিবৰ কাৰণেহে কৃষিপাম নিগম গঠন কৰা হ'ব। কিন্তু এতিয়া ৰাজ্যৰ প্ৰথম কৃষিপাম নিগমখন সংৰক্ষিত চৰকাৰী মাটি মুকলি কৰিহে গঠন কৰিবলৈ লোৱা হৈছে। চিলিং আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিমান আগবাঢ়িব পৰা হ'ল সেই বিষয়ত চৰকাৰ নিমাত। মাজে মাজে কেৱল কোৱা শুনা যায় যে ন্যস্ত স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল লোকসকলৰ বিৰোধিতাৰ কাৰণেহে বোলে এই আইন কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই। যদি শাসক দলৰ ভিতৰতেই এনে লোক আছে, তেন্তে তেনে লোকক দলৰ পৰা বহিষ্কাৰ কৰা হোৱা নাই কিয়? প্ৰগতিশীল ভূমি-সংস্কাৰৰ বিৰোধিতা কৰা লোকসকলে নিশ্চয় সশস্ত্ৰ বিদ্ৰোহ কৰা নাই, বা ৰাজ্যজুৰি গণ-বিপ্লৱ সৃষ্টি কৰা নাই। এই ন্যস্তস্বাৰ্থৰ বিৰুদ্ধে যুদ্ধ কৰিবৰ কাৰণেইতো ৰাইজে বিপুল জন-সমৰ্থন দি 'প্ৰগতিশীল' লোকসকলক ক্ষমতাত অধিষ্ঠিত কৰিছিল। এতিয়া কেইজনমান লোকে ক'ৰবাত লগ লাগি সভা এখন পাতি প্ৰস্তাৱ এটা গ্ৰহণ কৰিলেই যদি বিপুল জন-সমৰ্থনপুষ্ট এটা শক্তিশালী চৰকাৰে প্ৰগতিশীল আইনবোৰ কাৰ্য্যকৰী কৰিবলৈ ভয় কৰে, তেন্তে দেশত আন কি উপায়েৰে সমাজবাদ প্ৰতিষ্ঠিত হ'ব? মুঠতে প্ৰগতিশীল ভূমি-সংস্কাৰ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে, আৰু সেই ব্যৰ্থতাৰ কাৰণ হিচাবে আগবঢ়োৱা ব্যাখ্যাও জনসাধাৰণৰ বিশ্বাসযোগ্য হোৱা নাই। গুৱাহাটী আৰু তাৰ ওচৰৰ মাটিৰ বিতৰণৰ ক্ষেত্ৰত চৌধুৰী মন্ত্ৰীসভাৰ দিনতে হোৱা দুৰ্নীতিৰ বিষয়ে আগৰখন বিধান সভাই গঠন কৰি দিয়া এখন উচ্চ-ক্ষমতাসম্পন্ন কমিটীয়ে যি চাঞ্চল্যকৰ প্ৰতিবেদন দাখিল কৰিছিল— সেই প্ৰতিবেদনৰ পৰামৰ্শসমূহ কাৰ্য্যকৰী কৰাৰ বিষয়তো বৰ্তমানৰ চৰকাৰ ৰহস্যজনকভাৱে নীৰৱ। ই নিশ্চয় চৰকাৰৰ আন্তৰিকতা আৰু সাহসৰ পৰিচায়ক নহয়। সিংহ চৰকাৰে আমোলাতন্ত্ৰক দুৰ্নীতিমুক্ত কৰাৰ ওপৰত সঠিকভাৱেই সৰ্বাধিক গুৰুত্ব দিছিল। কিন্তু দুৰ্নীতি নিবাৰণৰ অভিযান কেইটামান বিক্ষিপ্ত ঢেৰেকনিৰ মাজতেই শেষ হৈ গ'ল। লেতেৰা ফটা কানিৰে টেবুল চাফা কৰিব নোৱাৰি, বৰং সি বেছি লেতেৰাহে হয়। আমোলাতন্ত্ৰক দুৰ্নীতিমুক্ত কৰাৰ আগতে ৰাজনৈতিক নেতৃত্ব দুৰ্নীতিৰ পৰা মুক্ত হ'ব লাগিব। যোৱা কেইমাহমানৰ ভিতৰত একাধিক মন্ত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ চাঞ্চল্যকৰ অভিযোগ নিশ্চয় মুখ্যমন্ত্ৰীৰ কৰ্ণগোচৰ হৈছে। (কাছাৰত এখন স্থানীয় বাতৰি কাকতত ডঃ লুটফুৰ ৰহমানৰ বিৰুদ্ধে দুৰ্নীতিৰ বহুতো তথ্যপূৰ্ণ অভিযোগ ধাৰাবাহিকভাৱে প্ৰকাশ হৈ আছে।) কিন্তু এইবোৰৰ বিৰুদ্ধে কোনো তদন্তৰ ব্যৱস্থা ৰাইজৰ দৃষ্টিগোচৰ হোৱা নাই। প্ৰসঙ্গত উল্লেখযোগ্য যে মন্ত্ৰী-বিষয়াসকলৰ সম্পত্তিৰ তালিকা ঘোষণা কৰিব আৰু সেইবোৰৰ পৰীক্ষা কৰা হ'ব বুলি অভিনন্দনযোগ্য সিদ্ধান্ত অলপতে প্ৰকাশ হৈছে। এই সিদ্ধান্ত ৰাইজক আভুৱা-ভঁৰিবলৈ এটা প্ৰকৃত অৰ্থত ফলপ্ৰসূ আৰু কাৰ্য্যকৰী হ'বলৈ পৰীক্ষকসকলক বিশ্বাসযোগ্য নেতৃস্থানীয় লোকৰ মাজৰ পৰা ল'লে ভাল হয়। কোনো অৱসৰপ্ৰাপ্ত ন্যায়াধীশক অধ্যক্ষ আৰু নেতৃস্থানীয় ৰাজহুৱা ব্যক্তিক লৈ এখন পৰীক্ষক কমিটী পাতি দিলে উদ্দেশ্যৰ সততা প্ৰমাণিত হ'ব বুলি আমি ভাবোঁ।

এই পৰ্য্যন্ত চৰকাৰে যথেষ্ট সাধুতা আৰু সাহসৰ পৰিচয় দিছে, এতিয়া প্ৰমাণ দিয়াৰ বাকী আছে তেওঁলোকৰ আন্তৰিকতা, উদ্দেশ্যৰ সততা আৰু কাৰ্য্যদক্ষতা।

শ্ৰীদেৱকান্ত বৰুৱা

যোৱা কেইবা মাহো ধৰি অৰ্থ মন্ত্ৰী শ্ৰীগোখলেই অস্থায়ীভাবে পেট্ৰলিয়াম আৰু ৰাসায়নিক মন্ত্ৰী দপ্তৰৰ কাৰ্য্যভাৰ অস্থায়ীভাবে চলাই আছিল। ভাৰতত সম্প্ৰতি কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ কাৰণে এটা সৰ্বাত্মক প্ৰচেষ্টা চলাই থকা হৈছে। এই প্ৰচেষ্টাৰ সাফল্য বহু পৰিমাণে নিৰ্ভৰ কৰি আছে সাৰ উৎপাদন বৃদ্ধিৰ ওপৰত। সেই কাৰণে পেট্ৰলিয়াম আৰু ৰাসায়নিক মন্ত্ৰী দপ্তৰৰ দায়িত্ব ল'বলৈ এজন উপযুক্ত মানুহৰ সন্ধান কৰি থকা হৈছিল। অৱশেষত সেই সন্ধানৰ অন্ত পৰিল আৰু বিহাৰৰ ৰাজ্যপাল শ্ৰীদেৱকান্ত বৰুৱাক তেওঁৰ কাৰ্য্যকালৰ আধা শেষ নৌ-হওঁতেই পুনৰ সক্ৰিয় ৰাজনীতিলৈ ঘূৰাই নি কেন্দ্ৰীয় মন্ত্ৰীসভাত পেট্ৰলিয়াম আৰু ৰাসায়নিক মন্ত্ৰী দপ্তৰৰ মন্ত্ৰী হিচাবে নিয়োগ কৰা হৈছে। শ্ৰীবৰুৱাৰ দক্ষতা আৰু প্ৰতিভাৰ ইয়াতকৈ স্পষ্ট ৰাজহুৱা স্বীকৃতি নিশ্চয় আন একো হ'ব নোৱাৰে। মন্ত্ৰীসভাৰ প্ৰত্যেকটো পুনৰ্বিন্যাস প্ৰধান মন্ত্ৰীৰ ৰাজনৈতিক চিন্তা আৰু মূল্যায়নৰো কিছু আভাস ব্যক্ত কৰে। নানা পৰীক্ষা-নিৰীক্ষাৰ মাজেদি তেওঁ কোনবোৰ মানুহৰ ওপৰত বেছি আস্থা স্থাপন কৰিব খোজে আৰু কোনবোৰ মানুহৰ ওপৰত আস্থা হেৰুৱাই পেলায়— তাৰ কিছু প্ৰমাণ এই পুনৰ্বিন্যাসৰ মাজেদি ফুটি উঠে। ৰাজনৈতিক আৰু অৰ্থনৈতিক উভয় ক্ষেত্ৰত দেশ সম্প্ৰতি কিছু সঙ্কটৰ সন্মুখীন হৈছে। এই সঙ্কটৰ পটভূমিত প্ৰধান মন্ত্ৰীয়ে তেওঁৰ মন্ত্ৰী-সভাৰ পুনৰ্বিন্যাস কৰিছে। এনে অৱস্থাত শ্ৰীদেৱকান্ত বৰুৱাৰ সক্ৰিয় ৰাজনীতিলৈ প্ৰত্যাৱৰ্তন আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাত নিযুক্তি নিশ্চয় এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা।

শ্ৰীদেৱকান্ত বৰুৱা এজন প্ৰখৰ ব্যক্তিত্বসম্পন্ন মানুহ। তেওঁৰ চিন্তাও গতিশীল। জীৱনত তেওঁ যেতিয়াই যি কৰ্মক্ষেত্ৰ বাছি লৈছে, সেই ক্ষেত্ৰতে তেওঁ নিজৰ বিৰল প্ৰতিভা আৰু ব্যক্তিত্বৰ চাপ ৰাখি গৈছে। তেওঁ জীৱন আৰম্ভ কৰিছিল সাংবাদিক হিচাবে। সাংবাদিক জীৱন দীৰ্ঘস্থায়ী নহ'ল যদিও অতি কম সময়ৰ ভিতৰতে তেওঁ অসমীয়া সাংবাদিকতাত নতুন ধাৰা প্ৰবৰ্তন কৰিবলৈ সক্ষম হৈছিল। এখন ক্ষুদ্ৰকায় কিতাপত সন্নিবিষ্ট আৰু আঙুলিৰ মূৰত লিখিব পৰা কেইটামান কবিতা লিখিয়েই তেওঁ অসমৰ অন্যতম সৰ্বশ্ৰেষ্ঠ কবি বুলি পৰিগণিত হৈছে। ৰাজনৈতিক ক্ষেত্ৰতো যোৱা দুই দশকতকৈ অধিক কাল ধৰি তেওঁ অসমৰ ৰাজনীতিত এটা গুৰুত্বপূৰ্ণ শক্তিকেন্দ্ৰ বুলি পৰিগণিত হৈ আহিছে। আজি অসমৰ অনুন্নত আৰু নিষ্পেষিত জনগোষ্ঠীসমূহৰ মাজত যি নতুন জাগৰণ আৰু স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম আৰম্ভ হৈছে— শ্ৰীদেৱকান্ত বৰুৱাকেই একপ্ৰকাৰে তাৰ মন্ত্ৰগুৰু বুলি ক'ব পাৰি। জীৱনৰ বিভিন্ন কৰ্মক্ষেত্ৰত অভিজ্ঞতা অৰ্জন কৰা আৰু এনেকুৱা বহুমুখী প্ৰতিভাৰ পৰিচয় দিয়া নেতা শ্ৰীদেৱকান্ত বৰুৱাৰ বাহিৰে অসমত দ্বিতীয় এজন নাই। তেওঁ ইতিমধ্যেই যিবোৰ পদ অলংকৃত কৰিছে— সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল বাতৰি কাকতৰ সম্পাদক, সংসদৰ সদস্য, কংগ্ৰেছৰ ওৱৰ্কিং কমিটীৰ সদস্য, বিধান সভাৰ অধ্যক্ষ, জাতি সংঘৰ সাধাৰণ পৰিষদত ভাৰতৰ প্ৰতিনিধি, অসমৰ শিক্ষামন্ত্ৰী, অইল ইণ্ডিয়াৰ চেয়াৰমেন আৰু বিহাৰৰ ৰাজ্যপাল। শ্ৰীদেৱকান্ত বৰুৱাৰ বিৰাট ব্যক্তিত্ব, বিশাল অধ্যয়ন আৰু বিচিত্ৰ অভিজ্ঞতা— এই সকলো মিলি তেওঁক আজি অসম তথা ভাৰতৰ ৰাজনীতিত এটা বিশিষ্ট শক্তিত পৰিণত কৰিছে।

সক্ৰিয় ৰাজনীতিলৈ শ্ৰীদেৱকান্ত বৰুৱাৰ প্ৰত্যাৱৰ্তনে অসমৰ ৰাজনীতিতো নানা প্ৰকাৰে প্ৰতিক্ৰিয়াৰ সূচনা কৰিব বুলি অনুমান কৰিব পাৰি। অসমৰ ৰাজনীতিত বিভিন্ন শক্তিগোষ্ঠীৰ প্ৰতিদ্বন্দ্বিতা চলাৰ পিচত সম্প্ৰতি যিটো গোষ্ঠীয়ে প্ৰাধান্য লাভ কৰিছে, তেওঁলোকৰ লগত শ্ৰীবৰুৱাৰ নিবিড় আত্মিক সম্পৰ্ক আছে। কিন্তু শ্ৰীবৰুৱা এজন উগ্ৰ ইচ্ছা-শক্তি সম্পন্ন মানুহ। তেওঁৰ কাম কৰাৰ ষ্টাইলো সুকীয়া ধৰণৰ। চকু মুদি কোনো কথাতে হয়ভৰ দিয়া মানুহ তেওঁ নহয়। কোনো এজন ৰাজ্যিক নেতা যেতিয়া কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্য হয়, তেওঁ তেতিয়া নিজ ৰাজ্যৰ ৰাজনীতিত এটা শক্তিশালী ভূমিকা ল'বলৈ সুবিধা পায়। অসমৰ ক্ষেত্ৰত ইমান দিনে সেই ভূমিকা লৈ আহিছিল প্ৰবীণ মন্ত্ৰী শ্ৰীফকৰুদ্দিন আলি আহমদে। কিন্তু শ্ৰীআলি আহমদৰ স্বাস্থ্য ক্ৰমাৎ পৰি আহিছে, আৰু দ্বিতীয়তে অসমৰ ৰাজনীতিত নতুনকৈ প্ৰতিষ্ঠা লাভ কৰা যুৱক-শক্তিটোৰ লগত তেওঁৰ মানসিক যোগাযোগ আপেক্ষিকভাৱে কম। খুব সম্ভৱ এতিয়াৰ পৰা অসমৰ ৰাজনীতিত আটাইতকৈ শক্তিশালী ভূমিকা ল'ব শ্ৰীদেৱকান্ত বৰুৱাই। এই ভূমিকাই কেনে ৰূপ লয় বা তাৰ শেষ পৰিণতি কি হয়গৈ— সেই কথা কেৱল সময়েহে ক'ব পাৰিব।

দিল্লীলৈ বুলি পাটনা ত্যাগ কৰাৰ আগ মুহূৰ্তত এখন বিদায় সভাত শ্ৰীদেৱকান্ত বৰুৱাই কৈছিল— "ভাগ্যৰ ফেৰত মই ওৰে জীৱন হাফ্-টাইমবালা হৈ আহিছো, অৰ্থাৎ কোনো এটা পদৰ কাৰ্য্যকালেই মই সম্পূৰ্ণকৈ ভোগ কৰিবলৈ পোৱা নাই। অসম বিধান সভাৰ অধ্যক্ষ পদ, শিক্ষামন্ত্ৰী, অইল ইণ্ডিয়াৰ চেয়াৰমেন আৰু এতিয়া বিহাৰৰ ৰাজ্যপাল— প্ৰত্যেকটো পদকেই মই আধা কাৰ্য্যকাল শেষ নৌহওঁতেই এৰি যাব লগা হৈছে।" সেয়েহে যদি হয়, তেন্তে কেন্দ্ৰীয় মন্ত্ৰী পদতো তেওঁ সম্পূৰ্ণ কাৰ্য্যকালৰ কাৰণে থাকিবনে? তাৰ আগতেই তেওঁ অসমলৈ অন্য কিবা বৃহৎ দায়িত্ব লৈ ঘূৰি আহিব নেকি? শ্ৰীবৰুৱাই কেন্দ্ৰীয় মন্ত্ৰী হিচাবে শপত লোৱাৰ আগমুহূৰ্তৰ পৰাই এই প্ৰশ্নটো অসমৰ মানুহৰ মুখে মুখে বাগৰিবলৈ ধৰিছে। অৱশ্যে এই প্ৰশ্নৰো উত্তৰ কেৱল সময়েহে দিব পাৰিব।

সাপ্তাহিক নীলাচল, ২২০ সংখ্যা : ২১ ফেব্রুৱাৰী, ১৯৭৩

ভাষা-সমস্যা সমাধানৰ কাৰণে যুটীয়া আলোচনা

অসমৰ ভাষা-সমস্যা সমাধানৰ কাৰণে মুখ্যমন্ত্রীয়ে অহা ২২ তাৰিখে কাছাৰৰ কেইজনমান নেতাৰ লগত আকৌ আলোচনা কৰিব। এই প্রস্তাৱিত আলোচনা ফলপ্রসূ হোৱাৰ বাটত কেইবাটাও দুৰ্লংঘ্য বাধা আছে। প্রথমতে— সমস্যাটোৰ লগত জড়িত দুয়োটা বিবদমান পক্ষৰ মনোভাব আৰু দাবী ইমান বেছি বিপৰীতমুখী যে আলোচনাৰ কোনো সাধাৰণ ভিত্তিয়েই আমাৰ চকুত পৰা নাই। পাৰস্পৰিক আলোচনাৰ দ্বাৰা সমস্যাৰ সমাধান কৰিবলৈ হ'লে দুয়ো পক্ষই এটা পূর্বচৰ্ত মানি ল'ব লাগিব। সেই পূবচৰ্ত হ'ল কিছু এৰা-ধৰা কৰাৰ মনোভাব। মুখ্যমন্ত্রীৰ পক্ষে এৰা-ধৰা কৰা সহজ নহয়, কাৰণ ১৯৭২ চনৰ ১১ নবেম্বৰৰ ঘোষণাৰ দ্বাৰা তেওঁৰ হাত-ভৰি বন্ধা হৈ আছে। সেই ঘোষণাত তেওঁ অসমৰ জনসাধাৰণক দুটা প্রধান প্রতিশ্রুতি দিছিল— (১) শিক্ষাৰ মাধ্যম হিচাবে গুৱাহাটী আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা-পৰিষদৰ সিদ্ধান্ত চৰকাৰে গ্রহণ কৰিছে আৰু (২) অসমৰ অনা-অসমীয়া মাধ্যমিক স্কুলবোৰত অসমীয়া ভাষাক বাধ্যতামূলক শিক্ষণীয় বিষয় হিচাবে প্রৱর্তন কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। দুয়োটা প্রতিশ্রুতিয়ে অতি স্পষ্ট, চূড়ান্ত আৰু দ্ব্যৰ্থহীন। এতিয়া সেই প্রতিশ্রুতিৰ পৰা চুলি এডালমানো আঁতৰি আহিবলৈ হ'লে মুখ্যমন্ত্রী প্রতিশ্রুতি ভঙ্গৰ অভিযোগত অভিযুক্ত হ'ব, আৰু লগতে তেওঁৰ চৰকাৰৰ বিশ্বাসযোগ্যতা নষ্ট হ'ব। তদুপৰি ই তেওঁৰ কাৰণে নতুনকৈ ৰাজনৈতিক সমস্যাৰো সৃষ্টি কৰিব পাৰে। আনহাতে মুখ্যমন্ত্রীয়ে এই ঘোষণাৰ পৰা অকণো লৰচৰ কৰিব নুখুজিলে কাছাৰৰ নেতাসকলৰ লগত কিহৰ ভিত্তিত আলোচনা চলিব— সেই কথা বুজা নাযায়।

আলোচনাত ভাগ ল'বলৈ অহা কাছাৰৰ নেতাসকলৰো সেই জিলাক প্রতিনিধিত্ব কৰিব পৰাৰ কিমানখিনি যোগ্যতা আছে— সেই সম্পর্কে সন্দেহৰ অৱকাশ আছে। এই একেখিনি নেতাই দিল্লীতো গৃহ দপ্তৰৰ ৰাজ্য মন্ত্রী শ্রীপন্তৰ সাক্ষাতত অসমৰ মুখ্যমন্ত্রীৰ লগত আলোচনা কৰিছিল। দিল্লীৰ আলোচনাৰ পৰা ঘূৰি আহি তেওঁলোকে কাছাৰৰ ছাত্রসকলক আন্দোলন প্রত্যাহাৰ কৰিবলৈ পৰামর্শ দিছিল। কিন্তু ছাত্রসকলে সেই পৰামর্শ সম্পূর্ণৰূপে অগ্রাহ্য কৰি আন্দোলন চলাই থাকিল। ইয়াৰ পৰা বুজা যায় যে আন্দোলনৰ নেতৃত্ব এওঁলোকৰ হাতৰ পৰা সম্পূর্ণৰূপে উগ্রপন্থী ছাত্র আৰু যুবকসকলৰ হাতলৈ গুচি গৈছে। এনেস্থলত হয় এওঁলোকে নিজৰ মধ্যমপন্থী মনোভাব পৰিহাৰ কৰি ছাত্রসকলৰ উগ্র দাবীকে আলোচনাত উত্থাপন কৰিব লাগিব, নহ'লে তেওঁলোকে এৰা-ধৰা কৰি কিবা আপোচত সন্মত হ'লেও তেওঁলোকে গ্রহণ কৰা আপোচ-সূত্র কাছাৰৰ ছাত্রসকলে অগ্রাহ্য কৰিব। তেওঁলোকে যদি প্রথমোক্ত পন্থা অনুসৰণ কৰে, অর্থাৎ কাছাৰ ছাত্রসকলৰ দাবীকে প্রস্তাৱিত আলোচনাত প্রতিপন্ন কৰিবলৈ চেষ্টা কৰে, তেন্তে আলোচনা সম্পূর্ণ ব্যর্থ হ'বলৈ বাধ্য, কাৰণ কাছাৰৰ বাঙালী ছাত্রসকলৰ দাবী মানি লৈ অসমৰ বিশ্ববিদ্যালয় দুখনত বাংলাকো অসমীয়াৰ সমান মৰ্যাদা দি শিক্ষাৰ মাধ্যম কৰিবলৈ অসম উপত্যকাৰ জনসাধাৰণ কেতিয়াও সন্মত নহ'ব। সেইটো কৰিবলৈ গ'লে অসম উপত্যকাত পুনৰ অশান্তিৰ জুই জ্বলি উঠিব পাৰে।

কাছাৰৰ খিলঞ্জীয়া অধিবাসীসকলৰ নতুন জাগৰণেও সমস্যাটোৰ এটা নতুন দিশ উন্মোচিত কৰিছে। প্ৰথমতে ভবা হৈছিল যে কাছাৰ সংখ্যাগৰিষ্ঠ লোকেই বাংলা ভাষাৰ দাবী সম্পূৰ্ণৰূপে সমৰ্থন কৰে। সেয়ে হোৱা হ'লে কাছাৰ পৃঠকীকৰণক সমস্যাটোৰ এটা সম্ভাব্য সমাধান বুলি বিবেচনা কৰি চাব পৰা হ'লহেঁতেন। কিন্তু যোৱা কেইমানহমানত দেখা গৈছে যে জাতি-ধৰ্ম-নিৰ্বিশেষে কাছাৰ আদিম অধিবাসীসকলে কাছাৰৰ পৃঠকীকৰণৰ নামেই শুবি নোখোজে, আৰু তেওঁলোকে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম আৰু চৰকাৰী ভাষা হিচাবে গ্ৰহণ কৰিব খোজে। কাছাৰত চলি থকা আন্দোলনৰ গতি-গোত্ৰ বিশ্লেষণ কৰি চালেও দেখা যায় যে এই আন্দোলন ঘাইকৈ নবাগত বাঙালীপ্ৰদান চহৰ কেইখনতে সীমাবদ্ধ; খিলঞ্জীয়া কাছাৰী-অধ্যুষিত গাঁৱলীয়া অঞ্চলত এই আন্দোলনে বিশেষ গা কৰিব পৰা নাই। চিলঙৰ প্ৰস্তাবিত আলোচনালৈ এই খিলঞ্জীয়া লোকসকলৰ কোনো প্ৰতিনিধিক নিমন্ত্ৰণ কৰা হোৱা নাই। এনেস্থলত চিলঙৰ এই আলোচনা কিমান দূৰ কাছাৰ প্ৰতিনিধিত্বমূলক হ'ব— সেই কথা অসম চৰকাৰে দকৈ বিবেচনা কৰি চাব লাগিব।

আপোচৰ ভিত্তি হিচাবে কোনো কোনো মহলে এটা নতুন সমাধানসূত্ৰ দাঙি ধৰিছে বুলি বিশ্বস্তসূত্ৰে জানিবলৈ পোৱা গৈছে। সেই সূত্ৰ হ'ল বিশ্ববিদ্যালয়ত শিক্ষাৰ অন্যতম মাধ্যম হিচাবে ইংৰাজীক স্থায়ীভাৱে ৰখাৰ ব্যবস্থা। এই মহলে যুক্তি দিব খোজে যে সাংস্কৃতিক ক্ষেত্ৰত অসমীয়াসকল এটা অতি সমৃদ্ধিশালী জাতি, কিন্তু সংখ্যাগত বিচাৰত ই অতি দুৰ্বল। ভাৰতৰ বিভিন্ন জাতিসমূহৰ মাজত হোৱা প্ৰতিযোগিতা সংখ্যাগতভাৱে দুৰ্বল অসমীয়াসকলে কেবল নিজৰ বৌদ্ধিক আৰু সাংস্কৃতিক উৎকৰ্ষ-সাধনৰ দ্বাৰাই তিষ্ঠি থাকিব লাগিব। ইংৰাজীক যদি উচ্চ-শিক্ষাৰ অন্যতম মাধ্যম হিচাবে স্থায়ীভাৱে ৰখা যায়, তেতিয়া হ'লে ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত বিশ্ব-ভাষা ইংৰাজীৰ লগত অসমৰ জনসাধাৰণৰ যোগাযোগ গভীৰতৰ হৈ থাকিব, আৰু ফলস্বৰূপে অসমৰ জ্ঞান-চৰ্চা বা বৌদ্ধিক উৎকৰ্ষৰ মানো অন্যান্য ৰাজ্যৰ তুলনাত ক্ৰমে ক্ৰমে উচ্চতৰ হৈ যাব। সময়ত হয়তো এনে এটা দিন আহিব যেতিয়া বিশ্ব-ভাষা ইংৰাজীৰ লগত ৰক্ষা কৰা যোগাসূত্ৰৰ যোগেদি গুৱাহাটী বিশ্ববিদ্যালয় ভাৰতৰ ভিতৰত এটা অনন্য বৌদ্ধিক কেন্দ্ৰত পৰিণত হ'ব আৰু সেই অনুপাতে বৌদ্ধিক প্ৰতিযোগিতাত অসম ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত আগবাঢ়ি থাকিব। আন্তৰ্জাতিক মানবিশিষ্ট জ্ঞান চৰ্চাৰ একমাত্ৰ কেন্দ্ৰ হিচাবে তেতিয়া হয়তো গুৱাহাটী বিশ্ববিদ্যালয়ক সমগ্ৰ ভাৰতৰ গুণী-জ্ঞানী লোকসকলৰ আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ব। ইংৰাজী ভাষাই ভাৰতত প্ৰথম প্ৰবেশ কৰাৰ সময়ত যিসকল ভাৰতীয়ই এই ভাষাক আঁকোৱালি লৈছিল আৰু এই ভাষাৰ যোগেদি আন্তৰ্জাতিক জ্ঞান-বিজ্ঞানৰ চৰ্চাৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰথম সুযোগ পাইছিল, সেইসকল লোক আনৰ তুলনাত বহু আগবাঢ়ি গ'ল। এই সুযোগৰ পৰা বঞ্চিত হোৱাসকল আজিলৈকে পিচ পৰি থাকিল। ঠিক সেইদৰে ইংৰাজী ভাষাৰ প্ৰস্থানৰ সময়তো যিসকল ভাৰতীয়ই ক্ৰমবৰ্দ্ধমান উন্নততৰ আন্তৰ্জাতিক জ্ঞান চৰ্চাৰ লগত যোগসূত্ৰ ৰক্ষা কৰি চলিবৰ কাৰণে যিমান পাৰে দেৰিলৈকে ইংৰাজী ভাষাৰ ব্যৱহাৰ অব্যাহত ৰাখিব, ভবিষ্যতৰ প্ৰতিযোগিতাত তেওঁলোকে আনতকৈ কিছু আগবাঢ়ি থাকিব। ... যিসকল লোকে ইংৰাজী ভাষাক উচ্চ শিক্ষাৰ মাধ্যম হিচাবে স্থায়ীভাৱে ৰখাৰ পোষকতা কৰে, তেওঁলোকে এইবোৰ যুক্তি দিব যে এই প্ৰস্তাৱ অসমৰ জনসাধাৰণৰ গ্ৰহণযোগ্য হ'বনে নহয় সেই কথা এই সম্পৰ্কে ৰাজহুৱা আলাপ-আলোচনা হ'লেহে বুজা যাব। কিন্তু আগন্তুক আলোচনাত এই প্ৰস্তাৱটোও আলোচিত হোৱাৰ সম্ভাৱনা আছে।

সাহিত্যিক পেন্‌চন্

যোৱা ২৬ জানুৱাৰী তাৰিখে অসম চৰকাৰে হঠাতে বাৰজন সাহিত্যিকক পেন্‌চন্ দিয়াৰ কথা ঘোষণা কৰিলে। চৰকাৰে নানা চিন্তা আৰু কাম-কাজৰ ওখল-মাখলৰ মাজত সাহিত্যৰ কথাও স্মৰণ কৰাত ৰাইজে নিশ্চয় ভাল পাইছে, কিন্তু প্ৰস্তাৱিত পেঞ্চনৰ কাৰণে সাহিত্যিকৰ বাছনিয়ে নানা বিতৰ্কৰ সৃষ্টি কৰিছে। বিশ্বস্ত-সূত্ৰে জানিবলৈ পোৱা মতে চৰকাৰে আগৰ পৰা ধীৰে-সুস্থিৰে চিন্তা কৰি কোনো এটা সু-চিন্তিত নীতিৰ ভিত্তিত এই পেন্‌চন্‌ৰ কথা ঘোষণা কৰা নাই; হঠাতে এটা সিদ্ধান্ত লৈ ততাতৈয়াকৈ বাৰজন লেখকৰ নাম বাছি উলিয়াইছে। এই বাছনিও কৰিছে চৰকাৰী বিষয়াসকলেহে। চৰকাৰৰ প্ৰত্যেকটো কাম-কাজেই ব্যক্তি বিশেষৰ খেয়ালত নহৈ এটা সু-চিন্তিত আৰু সু-ব্যাখ্যাত নীতিৰ ভিত্তিতহে হোৱা উচিত। সেয়ে নহ'লে এনে ধৰণৰ চৰকাৰী পৃষ্ঠপোষকতা কেতিয়াবা নিতান্ত অ-সাহিত্যিক বিবেচনাত ব্যক্তিগত অনুগ্ৰহ বিতৰণৰ উপায় হিচাবে ব্যৱহৃত হ'ব পাৰে। যি বাৰজন লেখকলৈ পেন্‌চন্ আগবঢ়োৱা হৈছে, তেওঁলোকৰ সাহিত্য-সেৱাৰ মূল্য সম্পৰ্কে কোনো প্ৰশ্ন উঠা নাই। কিন্তু এই লিখক বাছনিৰ মাজত এটা স্পষ্ট আৰু সু-চিন্তিত নীতি আৱিষ্কাৰ কৰাটো কিছু কঠিন হৈ পৰিছে। ঘোষিত সাহিত্যিক পেন্‌চন্‌ক যদি চৰকাৰে সন্মানৰ প্ৰতীক হিচাবে প্ৰৱৰ্তন কৰিব খুজিছে, তেন্তে এই পেন্‌চন্ পোৱা উচিত সৰ্বশ্ৰেষ্ঠ সাহিত্যিকসকলেহে। সম্প্ৰতি ঘোষণা কৰা বাৰজন লিখকৰ তালিকাই এই চৰ্ত সম্পূৰ্ণৰূপে পূৰণ নকৰে। আনহাতে চৰকাৰৰ উদ্দেশ্য যদি হয় যে এই পেনচন পোৱা উচিত কেৱল সেইসকল লিখকে— যিসকলে সাহিত্য-সাধনাত জীৱন পাত কৰি অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদান আগবঢ়াইছে, কিন্তু তেওঁলোক দাৰিদ্ৰ্যৰ দ্বাৰা ক্লিষ্ট হৈছে, তেন্তে এই তালিকাত ঠাই পোৱা একাধিক লেখক এই পেন্‌চন্ পাবৰ যোগ্য নহয়। সাহিত্যৰ সেৱাত জীৱন পাত কৰি কঠোৰ দাৰিদ্ৰ্যৰ মাজত কালাতিবাহন কৰা বহুতো লিখকৰ তুলনাত এওঁলোক স্বৰ্গ সুখত আছে। চৰকাৰৰ উদ্দেশ্য নিশ্চয় সৎ, কিন্তু অনুসৃত নীতি ভ্ৰান্ত, অথবা নীতিৰ কোনো অস্তিত্বই নাই। দুখীয়া চৰকাৰে প্ৰত্যেকটো পাতি পইচাকে বহুতো ভাবি-চিন্তি খৰচ কৰিব লাগে। সাহিত্যিক পেন্‌চন্ দিয়াৰ ক্ষেত্ৰত চৰকাৰে বোধহয় এনেকুৱা এটা সুপৰিকল্পিত নীতি গ্ৰহণ কৰাটো উচিত হ'ব— যাৰ ফলত এই পেন্‌চন্ কেৱল সন্মানৰ প্ৰতীক নহৈ বা কেৱল দাৰিদ্ৰ্য-নিবাৰণৰ অৰ্থ-সাহায্য নহৈ দুয়োটাৰে এটা সুষম সমন্বয় হ'ব পাৰে। অৰ্থাৎ, কেৱল এনে লিখকেহে সাহিত্যিক পেন্‌চন্ পোৱা উচিত যিসকলে মূল্যবান সাহিত্য-সেৱাৰ দ্বাৰা জাতীয় জীৱন সমৃদ্ধ কৰিছে, কিন্তু অৰ্থাগমনৰ আন কোনো উপায় নথকাত দাৰিদ্ৰ্যতাত ভুগিব লগা হৈছে। আন কথাত ক'বলৈ গ'লে যি লিখক প্ৰকৃতাৰ্থত অৰ্থত অভাৱগ্ৰস্থ, আনহাতে তেওঁৰ সাহিত্যিক সাধনা সৰ্বজন-স্বীকৃত, কেৱল তেনে লিখকে এই পেন্‌চন্ পালে চৰকাৰৰ উদ্দেশ্য সিদ্ধি হ'ব। পেন্‌চন্‌ৰ কাৰণে লিখক বাছনিৰ কাৰণেও চৰকাৰে এখন উদ্দেশ্য পৰিষদ গঠন কৰি লোৱাটো সমীচিন হ'ব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ

আমেৰিকাৰ টাইম মেগাজিনৰ আৰ্হিত যদি Man of the year বা 'বছৰটোৰ মানুহজন' বুলি কাৰোবাক বাছি উলিয়াব লগা হয়, তেন্তে অসমৰ সীমিত পৰিসৰত নিঃসন্দেহে সেই মানুহজন হ'ব শ্ৰীশৰৎ চন্দ্ৰ সিংহ। ১৯৭২ চনৰ ২১ মাৰ্চৰ দিনা তেওঁ অসমৰ মুখ্যমন্ত্ৰী হিচাবে শপত গ্ৰহণ কৰিছিল। আজি তেওঁ সেই পদত এটা বছৰ সম্পূৰ্ণ কৰিলে। এই এবছৰ কাল ধৰি অসমৰ ৰাজনীতিত তেওঁৰ অস্তিত্ব যিমান প্ৰবলভাৱে অনুভূত হৈছে, তেওঁৰ পূৰ্ব্বৱৰ্তী আন কোনো এজন মুখ্যমন্ত্ৰীৰে অস্তিত্ব সিমান প্ৰবলভাৱে অনুভূত হোৱা নাছিল। ইয়াৰ কাৰণ একাধিক। প্ৰথমতে, তেওঁ এনে এখন মন্ত্ৰীসভা গঠন কৰিলে, যিখন মন্ত্ৰীসভাত দুই-এজনক বাদ দি অন্যান্য সদস্যসকলৰ ব্যক্তিত্ব তেওঁৰ তুলনাত সমূলি নিস্প্ৰভ। আগৰ আটাইকেইখন মন্ত্ৰীসভাৰ মুখ্যমন্ত্ৰীকেইজন আছিল Primus inter pares- অৰ্থাৎ সমকক্ষসকলৰ ভিতৰত প্ৰথম জন মাত্ৰ। কিন্তু সিংহ মন্ত্ৰীসভাত শ্ৰীশৰৎ সিংহৰ ব্যক্তিত্ব আৰু কণ্ঠস্বৰ তেওঁৰ অন্যান্য সহকৰ্মীসকলৰ তুলনাত বেছি প্ৰবল আৰু সোচ্চাৰ যে বাকীসকলৰ অস্তিত্ব প্ৰায় অনুভৱেই কৰা নাযায়। ভাষা বিবাদৰ ক্ষেত্ৰত শ্ৰীমহীতোষ পুৰকায়স্থৰ কথা বাদ দি বাকী অন্যান্য মন্ত্ৰীসকলে শ্ৰীসিংহৰ ব্যক্তিত্বৰ অন্তৰালত প্ৰায় আত্ম বিলোপ কৰি থকা যেন লাগে। দ্বিতীয়তে, শ্ৰীসিংহৰ ৰাজনীতিত এটা নিজস্ব ষ্টাইল আছে। এই ষ্টাইল এনেকুৱা [illegible] মানুহৰ মনত আত্যন্তিক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। যি সকলে তেওঁক ভাল পায়, খুব বেছিকৈ ভাল। প্ৰায় সেইদৰে তেওঁক বেয়া পোৱা লোকসকলেও অতি উগ্ৰভাৱে বেয়া পায়। তদুপৰি তেওঁ খুব বেছি [illegible] নিজৰ বিশ্বাসত নলয়; এটা ক্ষুদ্ৰ বিশ্বস্ত গোষ্ঠীৰ সহায়ত ৰহস্যময় আবেষ্টনীৰ মাজত কাম কৰাৰ প্ৰতি তেওঁৰ এটা সহজাত প্ৰৱণতা আছে। শ্ৰীসিংহৰ এই ষ্টাইলে তেওঁক এজন বিবাদমান ব্যক্তি কৰি তুলিছে। তেওঁৰ ঘনিষ্ঠ বন্ধুমহলতে তেওঁৰ বিষয়ে নানা গল্প প্ৰচলিত হৈছে। এবাৰ বোলে এজন প্ৰবীণ কংগ্ৰেছী সদস্যই দলৰ সভাপতিক নিৰ্বাচন সম্পৰ্কীয় কিবা এটা কথা সুধিবলৈ শ্ৰীসিংহৰ ওচৰলৈ গৈছিল। কথা আৰম্ভ কৰাৰ আগতে সদস্যজনে জেপৰ পৰা কাগজ এটুকুৰা উলিয়াই লৈ হাতত মুঠি মাৰি ল'লে। তাৰ পাছত তেওঁ যিটো কথা জানিবলৈ আহিছিল সেই বিষয়ে সিংহক প্ৰশ্ন কৰিলে। উত্তৰত সিংহই ক'লে— "মই এই বিষয়ে একো নাজানো।" তেতিয়া ভদ্ৰলোকজনে হাতত মুঠি মাৰি ধৰি থকা কাগজ টুকুৰা খুলি শ্ৰীসিংহক দেখুৱাই ক'লে— "চাওক, আপুনি মোক কি উত্তৰ দিব-সেই কথা মই আগতেই জানিছিলো। সেই কাৰণেই মই আপোনাৰ উত্তৰটো আগতেই লিখি লৈ আহিছোঁ।" কাগজ টুকুৰাত লিখা আছিল— 'মই যেতিয়া শ্ৰীসিংহক এই বিষয়ে প্ৰশ্ন কৰিম, তেতিয়া তেওঁ উত্তৰ দিব— মই এই বিষয়ে একোৱে নাজানো।' কংগ্ৰেছ অনুষ্ঠানত সম্প্ৰতি এটা কথা ব্যাপকভাৱে প্ৰচলিত হ'ব ধৰিছে যে কংগ্ৰেছ সংগঠন সম্পৰ্কীয় যিকোনো কথা সুধিলেই শ্ৰীসিংহই একো নাজানো বুলি উত্তৰ দিয়ে, কিন্তু সকলোৰে দৃঢ় ধাৰণা যে শ্ৰীসিংহই নজনাকৈ কংগ্ৰেছ অনুষ্ঠানত সম্প্ৰতি একো ঘটিব নোৱাৰে।

তৃতীয়তে, শ্ৰীসিংহই কেতবোৰ নতুন ৰাজনৈতিক আৰু অৰ্থনৈতিক চিন্তাৰ পৰিচয় দিছে। এইবোৰৰ গুণাগুণ বা শেষ ফল যিয়েই নহওক, এটা বিষয়ে কোনো সন্দেহ নাই যে শ্ৰীসিংহৰ নিজৰ এটা মন আছে, আৰু মাত্ৰ এটা বছৰৰ ভিতৰতে তেওঁ অসমৰ ৰাজনীতিত গতানুগতিকতাৰ অৱসান ঘটাবলৈ সমৰ্থ হৈছে।

এই আটাইবোৰ কথাৰ সামগ্ৰিক পৰিণাম এয়েই যে যোৱা এটা বছৰ ধৰি শ্ৰীসিংহই অসমৰ ৰাজনৈতিক মঞ্চৰ প্ৰায় গোটেইখিনি ঠাই অকলেই অধিকাৰ কৰি আছে।

অসমৰ সৰ্বোচ্চ নেতাৰ পদলৈ শ্ৰীসিংহ উন্নীত হৈছিল প্ৰায় নাটকীয়ভাৱেই আৰু তেওঁক সেই পদত অধিষ্ঠিত কৰাৰ মূলতে আছিল উচ্চতম কংগ্ৰেছ নেতৃত্ব তথা জনসাধাৰণৰ পৰিবৰ্তনৰ স্পৃহা। অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত তেওঁ কিবা পৰিবৰ্তনৰ সূচনা কৰিব পাৰিছেনে নাই— সেইটোৱেই এতিয়া প্ৰধান বিচাৰ্য্য বিষয়।

অসমৰ ৰাজনীতিত শ্ৰীসিংহই দুটা উল্লেখযোগ্য পৰিবৰ্তনৰ সূচনা কৰিবলৈ সক্ষম হৈছে। সেই দুটা হ'ল যুৱ-শক্তিৰ উত্থান আৰু অনুন্নত সম্প্ৰদায়সমূহৰ প্ৰাধান্য স্থাপন। অসম কংগ্ৰেছত যুৱক শক্তিক প্ৰতিষ্ঠা কৰিবলৈ শ্ৰীসিংহই বহুদিনৰ পৰা চেষ্টা কৰি আছিল। পৰিবৰ্তন স্পৃহা যৌৱনৰ স্বাভাৱিক ধৰ্ম, আৰু সমাজত পৰিবৰ্তন আনিব খোজা কোনো মানুহেই যৌৱনৰ এই স্বাভাৱিক আৱেগ আৰু আদৰ্শবাদিতাৰ সহায় নোলোৱাকৈ থাকিব নোৱাৰে। এই কথা সম্পূৰ্ণ সঁচা যে শ্ৰীসিংহ ক্ষমতালৈ নহা হ'লে একে সময়তে ইমানবোৰ ডেকা মানুহ বিধান সভাত বা সম্প্ৰতি কংগ্ৰেছ অনুষ্ঠানত প্ৰৱেশ কৰাৰ সুযোগ নাপালেহেঁতেন।

সেইদৰে অসমৰ ৰাজনীতি আৰু শাসন-ব্যৱস্থাত অনুন্নত সম্প্ৰদায়সমূহক প্ৰাধান্য দিয়াৰ মূলতেই এটা বিশেষ ৰাজনৈতিক চিন্তাই কাম কৰিছে। সেইটো হ'ল এই যে ইউৰোপীয় আৰু অন্যান্য দেশসমূহত মানুহ আৰু মানুহৰ মাজত থকা বৈষম্যৰ মূল কাৰণ হ'ল অৰ্থনৈতিক; কিন্তু জাতিভেদ কবলিত ভাৰতত অৰ্থনৈতিক বৈষম্যৰ উপৰিও সামাজিক বা জাতিগত বৈষম্যয়ো কোটি কোটি মানুহৰ জীৱন পঙ্গু কৰি ৰাখিছে। গতিকে ভাৰতৰ নিচিনা দেশত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ হ'লে অৰ্থনৈতিক বৈষম্যৰ উপৰিও সামাজিক বা সাম্প্ৰদায়িক বৈষম্যৰ বিৰুদ্ধেও সংগ্ৰাম চলাব লাগিব। বহুত মানুহে এই কথা অনুভৱ কৰিছে যে অসমত দীৰ্ঘকাল ধৰি সংখ্যালঘু উচ্চ-বৰ্ণৰ হিন্দুসকলে এটা সুবিধাভোগী শ্ৰেণীত পৰিণত হৈ প্ৰাপ্যতকৈ অধিক ৰাজনৈতিক ক্ষমতা ভোগ কৰি আহিছে, কিন্তু সেই অনুপাতে সংখ্যা-গুৰু অনুন্নত সম্প্ৰদায়ৰ লোকসকলে নিজৰ ন্যায্য অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ বিশেষ সুযোগ পোৱা নাই। শ্ৰীশৰৎ সিংহ আমাৰ সমাজৰ এই দিশটোৰ প্ৰতি বিশেষভাৱে সচেতন। সেই কাৰণে তেওঁ মুখ্যমন্ত্ৰী হৈয়েই এইবাৰ এনে এখন মন্ত্ৰীসভা গঠন কৰিছে— য'ত অনুন্নত সম্প্ৰদায়ৰ প্ৰতিনিধিসকলক অভূতপূৰ্ব প্ৰাধান্য দিয়া হৈছে, আৰু উচ্চবৰ্ণৰ হিন্দু সম্প্ৰদায়ক বিশেষকৈ ব্ৰাহ্মণ সম্প্ৰদায়ক সম্পূৰ্ণ বাদ দিয়া হৈছে। দেখাত অসমৰ ৰাজনীতিত ই এটা বৈপ্লৱিক পৰিবৰ্তন।

ৰাজনীতিত যুৱক সমাজৰ উত্থান আৰু অনুন্নত সম্প্ৰদায়ৰ প্ৰাধান্য লাভ— এই দুয়োটা কথাই নীতিগতভাৱে অভিনন্দনযোগ্য পৰিবৰ্তনৰ সূচনা। কিন্তু এই নীতি শুদ্ধভাৱে কাৰ্য্যকৰী কৰা হৈছেনে নাই, বা তাৰ পৰা অভিপ্ৰেত ফল লাভ হৈছেনে নাই— সেই বিষয়ে যথেষ্ট সন্দেহৰ অৱকাশ আছে।

মুখ্যমন্ত্ৰী হোৱাৰ কেইমাহমানৰ আগতে শ্ৰীসিংহই এনে এটা অভিমত ব্যক্ত কৰিছিল যে তেওঁ নিজে মুখ্যমন্ত্ৰী হোৱা বা চৰকাৰী ক্ষমতা দখল কৰাৰ ওপৰত অকণো গুৰুত্ব আৰোপ নকৰে; কিন্তু তেওঁ বিশ্বাস কৰে যে তেওঁ যদি মাত্ৰ দহজন নিঃস্বাৰ্থ আৰু আদৰ্শবাদী ডেকা কৰ্মীক বিধান সভালৈ আনিব পাৰে— যি দহজন ডেকা কৰ্মীয়ে কেতিয়াও মন্ত্ৰী পদৰ প্ৰতি লালায়িত নহৈ সমাজৰ প্ৰগতি আৰু পৰিবৰ্তনৰ কাৰণে অবিৰামভাৱে কাম কৰিব— তেন্তে মাত্ৰ সেই দহজন ডেকা কৰ্মীৰ সহায়তেই তেওঁ অসমৰ শাসন-ব্যৱস্থাত বিৰাট পৰিবৰ্তন আনিবলৈ সক্ষম হ'ব। তেতিয়া তেওঁক প্ৰশ্ন কৰা হৈছিল— "১৯৬৯ চনৰ পৰা দুবছৰ কাল সমগ্ৰ ৰাজ্যতে কংগ্ৰেছৰ সংগঠনৰ কামত অবিৰামভাৱে ঘূৰি ফুৰি তেওঁ তেনেকুৱা দহজন ডেকা কৰ্মীৰ

সন্ধান পাইছেনে?"- বহুতপৰ নীৰৱ হৈ থাকি অৱশেষত শ্ৰীসিংহই বিষণ্ণভাৱে উত্তৰ দিছিল— "নাই পোৱা।" কিন্তু নিৰ্বাচনৰ মনোনয়ন বিতৰণৰ সময়ত দেখা গ'ল যে মাত্ৰ দহজন নহয়— তাৰ চাৰি-পাঁচ গুণ ডেকা মানুহ অসমৰ ৰাজনীতিৰ বাঘ-জৰী ধৰিবলৈ ওলাই আহিছে। দুবছৰ কাল অবিৰামভাৱে সন্ধান কৰি যিসকল ডেকা মানুহৰ মাজত শ্ৰীসিংহই সংগ্ৰামী মনোবৃত্তি আৰু আদৰ্শনিষ্ঠা বিচাৰি পোৱা নাছিল, মনোনয়ন বিতৰণৰ সময়ত মাত্ৰ দুসপ্তাহৰ ভিতৰতে তেওঁ সেইসকল ডেকাৰ মাজত সেই দুৰ্লভ গুণ আৱিষ্কাৰ কৰিলে বুলি মানুহে নিশ্চয় কেতিয়াও বিশ্বাস নকৰে। অৱশ্যে যুৱক শক্তিৰ এই ব্যৰ্থতাৰ কাৰণে শ্ৰীসিংহক কেতিয়াও দায়ী কৰিব নোৱাৰি। কিন্তু তাৰ লগতে তেওঁক এই কৃতিত্বও দিব নোৱাৰি যে তেওঁৰ নেতৃত্বৰ সময়তে যুৱক শক্তিয়ে অসমৰ ৰাজনীতিত যি প্ৰতিষ্ঠা লাভ কৰিছে, তাৰ ফলত অসমৰ ৰাজনীতিত কিবা গুণগত পৰিৱৰ্তন সাধিত হৈছে। বৰং সামাজিক সেৱাকাৰ্য্য আৰু সংগ্ৰামী ৰাজনীতিৰ মাজেদি এই ডেকাসকলৰ চৰিত্ৰৰ প্ৰকৃত পৰীক্ষা নোহোৱাৰ ফলত অসমৰ ৰাজনীতিত যুৱকসকল এটা নতুন ন্যস্ত স্বাৰ্থত পৰিণত হৈছে। সংগ্ৰামৰ কঠোৰ প্ৰত্যাহ্বানৰ পৰিবৰ্তে আজি তেওঁলোকৰ সমুখত দাঙি ধৰা হৈছে ৰাজনৈতিক ক্ষমতা আৰু পদ-মৰ্যাদাৰ প্ৰলোভন, ফলত এই ডেকাসকল পৰিৱৰ্তনৰ বাহিনী হোৱাৰ পৰিবৰ্তে আজি হৈ পৰিছে স্থিতাৱস্থাৰ প্ৰবক্তা। যুৱক কংগ্ৰেছৰ সদস্য-পদ আজি সংগ্ৰামী ৰাজনীতি বা আদৰ্শ প্ৰচাৰৰ নিমন্ত্ৰণ-লিপি নহয়, ই হ'ল ক্ষমতা দখলৰ শৰ্টকাট। মাত্ৰ কিছুদিনৰ আগতে এজন অজ্ঞাত-পৰিচয় ডেকাই টেলিফোনত এজন উচ্চপদস্থ বিষয়াৰ লগত কথা পাতিছিল। তেওঁ বিষয়াজনক কৈছিল— "শুনক, মই যুৱক-কংগ্ৰেছৰ অফিচৰ পৰা কৈছোঁ, আপোনাৰ অফিচত খালী হোৱা অমুকটো পদত শ্ৰীঅমুকক নিযুক্তি দিব।" বহুতো চৰকাৰী বিষয়াৰেই এনে অভিজ্ঞতা হৈছে বুলি শুনা গৈছে। নিবনুৱা শিক্ষিত ডেকাক চাকৰি বা ঔদ্যোগিক ঋণ দিয়াটো আজি অসমত এটা ডাঙৰ ৰাজনৈতিক ব্যৱসায়ত পৰিণত হৈছে, কাৰণ নিৰ্বাচনৰ কাৰণে কৰ্মী ৰিক্ৰুইট কৰাৰ ইয়েই আটাইতকৈ প্ৰশস্ত উপায়। যোৱা এবছৰে যুৱক-কংগ্ৰেছৰ সভাপতিৰ পদ এজন ডেকা মন্ত্ৰীয়ে বহন কৰি আছে, সেই পদৰ কাৰণে দ্বিতীয় এজন যুৱক-নেতা উলিয়াব পৰা হোৱা নাই। ইয়াৰ সহজ অৰ্থ এয়েই হয় যে কেৱল আদৰ্শৰ জোৰেৰে যুৱক-কংগ্ৰেছক সক্ৰিয় কৰি ৰখাটো সম্ভৱপৰ হৈ উঠা নাই, এই অনুষ্ঠানৰ শক্তিৰ উৎস হৈ পৰিছে চৰকাৰী ক্ষমতা।

অসমৰ ৰাজনীতিত অনুন্নত সম্প্ৰদায়ক সু-প্ৰতিষ্ঠিত কৰিবলৈ শ্ৰীসিংহই যি চেষ্টা আৰম্ভ কৰিছে— তাৰ ফলো সম্পূৰ্ণৰূপে মঙ্গলজনক হৈছে বুলি ক'ব নোৱাৰি। শ্ৰীসিংহৰ উদ্দেশ্য হয়তো সৎ, কিন্তু তেওঁ যি কৌশলেৰে সেই কাম কৰিব লাগিছিল, তাকে নকৰাৰ ফলত অসমৰ ৰাজনীতিত একপ্ৰকাৰৰ নতুন সাম্প্ৰদায়িকতাবাদৰ সূচনা হৈছে বুলি বহুতৰ মনত বিপদজনক ধাৰণাই ঠাই পাইছে। তদুপৰি যোৱা এবছৰৰ ভিতৰত নতুন চৰকাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ পৃষ্ঠপোষকতাত বিভিন্ন সাম্প্ৰদায়িক অনুষ্ঠান বিতাৰে গঢ় লৈ উঠিছে— সিও এখন নতুন শ্ৰেণীহীন আৰু সাম্প্ৰদায়িকতামুক্ত সমাজ ৰচনাৰ শুভ পথ হয়নে নহয়— সেই বিষয়ে যথেষ্ট সন্দেহৰ অৱকাশ আছে। এটা কথা সকলোৱে পৰিষ্কাৰভাৱে উপলব্ধি কৰা উচিত যে কেৱল ৰাজনৈতিক ক্ষমতা বিতৰণৰ দ্বাৰাই ভাৰতৰ নিচিনা দেশত সামাজিক আৰু সাম্প্ৰদায়িক বৈষম্য দূৰ কৰিব নোৱাৰি; তাৰ কাৰণে এটা সমাজিক আৰু সাংস্কৃতিক বিপ্লৱ সৃষ্টি কৰাৰ দৰকাৰ। এনে এটা সামাজিক বিপ্লৱ সৃষ্টি নকৰি কেৱল ৰাজনৈতিক ক্ষমতা বিতৰণৰ দ্বাৰাই অনুন্নত লোক-গোষ্ঠীৰ সামাজিক মুক্তি আনিবলৈ চেষ্টা কৰিলে সি এটা নতুন সুবিধাভোগী ন্যস্ত-স্বাৰ্থ সৃষ্টি কৰাৰ সম্ভাৱনাহে বেছি। অসমত সম্প্ৰতি তেনে এটা ভুল পথ অনুসৰণ কৰা দেখা গৈছে।

বালজাকৰ এটা গল্প

বালজাকৰ এটা বিখ্যাত গল্প আছে। এহাল স্বামী-স্ত্ৰীৰ মাজত মনৰ মিল নাছিলা তিৰোতাজনীয়ে গোটেই জীৱন ধৰি গিৰিয়েকৰ পৰা অশেষ কষ্ট পাইছিল। এনেতে তিৰোতাজনী অকাল মৃত্যুৰ সম্মুখীন হ'ল। মৰিবৰ আগমুহূৰ্তত তাই গিৰিয়েকৰ ওচৰত এটা প্ৰতিশোধ ল'বলৈ মন কৰিলে। গিৰিয়েকক মৃত্যু-শয্যাৰ কাষলৈ মাতি তাই ক'লে— "মই মোৰ অন্তিম মুহূৰ্তত এটা স্বীকৰোক্তি কৰি যাব খোজোঁ। আমাৰ সাতোটা ল'ৰা-ছোৱালীৰ ভিতৰত দুটাৰ পিতৃ বেলেগ এজন মানুহ— তুমি নহয়।"

কিছু সময়ৰ মূৰত তিৰোতাজনীৰ মৃত্যু হ'ল। ঘৈনিয়েকৰ মুখত এই কথা শুনাৰ পিছত মানুহটো পাগলৰ নিচিনা হ'ল। সি সাতোটা ল'ৰা-ছোৱালীকে নিজৰ তেজ-মঙহ বুলি ভাবি ইমান আদৰ-যত্নৰে ডাঙৰ-দীঘল কৰিছে, তাৰে দুটাই তেন্তে বহন কৰিছে ঘৈনিয়েকৰ অসতীত্ব আৰু বিশ্বাসঘাতকতাৰ স্বাক্ষৰ। এতিয়া আচল সত্যটো জনাৰ পিচত সি সেই দুটা ল'ৰাক নিজৰ সন্তান বুলি কেনেকৈ গ্ৰহণ কৰে? তদুপৰি ঘৈনীয়েকে তাৰ প্ৰতি যি বিশ্বাসঘাতকতাৰ কাম কৰি গ'ল, তাৰ প্ৰতিশোধ নোলোৱালৈকে সি বা কেনেকৈ থাকে? কিন্তু তাৰ ডাঙৰ সমস্যা হ'ল এই যে সাতোটা ল'ৰা-ছোৱালীৰ ভিতৰত কোন দুটা তাৰ ঔৰসজাত নহয়, সেই কথা সি ক'ব নোৱাৰে। ঘৈনীয়েকে এই কথা তাক কৈ যোৱা নাই। অথচ সেই কথা সি জানিবই লাগিব। সেই কথা নজনাকৈ কোন দুটা ল'ৰা তাৰ ঘৈনীয়েকৰ পাপৰ সাক্ষী, আৰু বাকী কোন পাঁচটা ল'ৰা তাৰ নিজৰ আচল সন্তান— সেই সম্পৰ্কে সি কোনো দিন নিশ্চিত হ'ব নোৱাৰিব। দিনে-ৰাতি এই একেটা চিন্তা তাৰ মনৰ পৰা নুগুচা হ'ল। ৰাতি যেতিয়া সাতটা ল'ৰা-ছোৱালীয়ে বিছনাত নিঃপালি দি শুই থাকে, সি বিছনাত বহি বহি এফালৰ পৰা প্ৰতিটো ল'ৰা-ছোৱালীৰ মুখবোৰ তন্নতন্নকৈ পৰীক্ষা কৰি ভাবি উলিয়াবলৈ চেষ্টা কৰে— কোনকেইটা তাৰ নিজৰ সন্তান আৰু কোন দুটা তাৰ অসতী ঘৈনীয়েকৰ ব্যভিচাৰৰ পৰিণাম। ৰাতিৰ পিচত ৰাতি উজাগৰে থাকি সি এই পৰীক্ষা কৰিবলৈ ধৰিলে। সাতোটা ল'ৰা-ছোৱালীৰ ভিতৰত যিকোনো দুটাই ঘৈনীয়েকৰ পাপ আৰু বিশ্বাসঘাতকতাৰ স্বাক্ষৰ বহন কৰিছে, সিহঁতক বাছি উলিয়াব নোৱাৰালৈকে তাৰ শান্তি নাই। কিন্তু অৱশেষত সি অনুভৱ কৰিলে যে কেৱল সন্দেহ বা অনুমানৰ বাহিৰে এটা স্থিৰ সিদ্ধান্তত উপনীত হ'বলৈ তাৰ কোনো উপায় নাই। ঈৰ্ষা আৰু প্ৰতিশোধৰ স্পৃহাই তাক উন্মাদ কৰি তুলিলে। এদিন ৰাতি ল'ৰা-ছোৱালীবোৰ শুই থকা অৱস্থাতে সি এটা এটাকৈ সাতোটা ল'ৰা-ছোৱালীক হত্যা কৰিলে।

শ্ৰীমহীতোষ পুৰকায়স্থই অসম বিধান সভাৰ দুজনমান মন্ত্ৰীৰ বিৰুদ্ধে ভাষা-সংঘৰ্ষত লিপ্ত থকাৰ অভিযোগ উত্থাপন কৰাৰ পিছত আজি প্ৰায় এমাহতকৈ বেছি সময় পাৰ হৈ গ'ল। কিন্তু অতি আচৰিত কথা যে তেওঁ আজিলৈকে অভিযুক্ত মন্ত্ৰীকেইজনৰ নাম প্ৰকাশ কৰা নাই বা তেওঁৰ দলীয় সহকৰ্মীসকলেও তেওঁক সেই নামকেইটা ৰাজহুৱাভাৱে ব্যক্ত কৰিব লাগে বুলি দাবী তুলা নাই। ফলত বাইজৰ চকুত অসম মন্ত্ৰীসভাৰ অৱস্থা হৈ পৰিছে বালজাকৰ গল্পৰ সেই ল'ৰা-ছোৱালী সাতোটাৰ নিচিনা; যাৰজ সন্তান দুটা চিনি উলিয়াব নোৱাৰৰ ফলত বাপেকৰ চকুত আটাইকেইটা ল'ৰা-ছোৱালীয়ে যেনেকৈ সন্দেহভাজন হৈ পৰিছিল,

শ্ৰীপুৰকায়স্থই নাম ধৰি কাৰো বিৰুদ্ধে অভিযোগ নকৰাৰ ফলত গোটেই মন্ত্ৰীসভাখনেই ৰাইজৰ চকুত সন্দেহৰ পাত্ৰ হৈ পৰিছে। এই বিষয়ে সন্দেহ নাই যে শ্ৰীপুৰকায়স্থই তেওঁৰ কামৰ দ্বাৰা অসম মন্ত্ৰীসভাৰ প্ৰতি প্ৰচ্ছন্ন অবিচাৰ কৰিছে, কাৰণ যি পৰ্যন্ত তেওঁ অভিযুক্ত মন্ত্ৰীকেইজনৰ নাম প্ৰকাশ নকৰিব সেই পৰ্যন্ত বালজাকৰ গল্পৰ ল'ৰা-ছোৱালীজাকৰ দৰে অসম মন্ত্ৰীসভাৰ প্ৰতিজন মন্ত্ৰীয়েই ৰাইজৰ চকুত সন্দেহভাজন হৈ থাকিব। পুৰকায়স্থই অসম মন্ত্ৰীসভাৰ সদস্য হৈ থাকে নে নাথাকে বা ভাষা-সমস্যাৰ কিভাবে সমাধান হয়, সেই কথা এই প্ৰসঙ্গত সম্পূৰ্ণ অবান্তৰ। কিন্তু নিৰ্দোষী মন্ত্ৰীসকলক মিছা সন্দেহৰ পৰা মুক্ত কৰিবলৈ হ'লে তেওঁ অভিযুক্ত মন্ত্ৰীকেইজনৰ নাম প্ৰকাশ কৰিবই লাগিব আৰু সেই অভিযোগবোৰো প্ৰমাণ কৰিব লাগিব। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী শ্ৰীসিংহৰো এটা বিশেষ নৈতিক দায়িত্ব আছে। অভিযুক্ত মন্ত্ৰীসকলৰ নাম ক'বলৈ বা অভিযোগৰ প্ৰমাণ কৰিবলৈ তেওঁ পুৰকায়স্থক বাধ্য কৰা উচিত। এইক্ষেত্ৰত দিল্লীৰ হস্তক্ষেপ তেওঁ কেতিয়াও মানি লোৱা উচিত নহয়। নিজৰ সহকৰ্মীসকলক দায়িত্বহীন অভিযোগ আৰু চৰিত্ৰ হননৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে নেতা হৈ থাকিবলৈ তেওঁৰ কোনো নৈতিক অধিকাৰ নাই।

সম্পত্তিৰ হিচাব

কিছু দিনৰ আগতে অসমৰ ৰাজ্যিক গৃহ মন্ত্ৰীয়ে ঘোষণা কৰিছিল যে মন্ত্ৰী আৰু বিধয়াসকলক তেওঁলোকৰ সম্পত্তিৰ হিচাব চৰকাৰৰ ওচৰত দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিষয়াসকলে তেওঁলোকৰ সম্পত্তিৰ হিচাব বছৰি বছৰি চৰকাৰৰ ওচৰত দাখিল কৰাৰ এটা নিয়ম বহুদিনৰ আগৰে পৰা চলি আছিছে। কিন্তু এইবোৰ নিয়ম ৰাইজৰ চকুত ধূলি দিয়াৰ একোটা কৌশল মাত্ৰ। কাৰণ পৃথিবীত এনেকুৱা মূৰ্খ বিষয়া কোনো নাই— যিজনে অন্যায়ভাৱে আৰ্জিত সম্পত্তিৰ প্ৰকৃত হিচাব চৰকাৰৰ ওচৰত দাখিল কৰি নিজৰ ভৰিত নিজে কুঠাৰ মাৰিব। কোৱা বাহুল্য মাথোন যে প্ৰত্যেকেই নিজৰ গা বচাইহে সম্পত্তিৰ হিচাব দাখিল কৰে, আৰু যিহেতু এইবোৰ হিচাবৰ সত্যাসত্য নিৰ্ণয় কৰিবলৈ কোনো চৰকাৰী তদন্তৰ ব্যৱস্থা নাই, গতিকে বিষয়াসকলে দাখিল কৰা হিচাবৰ মূল্য পেলনীয়া কাকতৰ খৰাহীত পেলাই দিয়া কটা কাকততকৈ অকণো বেছি নহয়।

দেশত মুদ্ৰাস্ফীতি আৰু মূল্যবৃদ্ধিৰ এটা প্ৰধান কাৰণ হৈছে ক'লা টকা। আনহাতে ক'লা টকাৰ এটা প্ৰধান উৎস হৈছে ভেটীখোৱা প্ৰথা আৰু আনুষঙ্গিক দুৰ্নীতি। গতিকে দেশৰ সৰ্বসাধাৰণ ৰাইজৰ জীৱন সহনীয় কৰি তুলিবলৈ হ'লে যিকোনো প্ৰকাৰে এই ভেটীখোৱা প্ৰথা নিয়ন্ত্ৰিত কৰিবই লাগিব। কিন্তু এই কামৰ কাৰণে যদি বিষয়াসকলে দাখিল কৰা সম্পত্তিৰ তালিকাৰ ওপৰত চৰকাৰে নিৰ্ভৰ কৰিবলগীয়া হয়, তেন্তে কস্মিন কালেও দেশৰ পৰা দুৰ্নীতি আৰু অসদুপাৰ্জন দূৰ হোৱাৰ আশা নাই। সম্পত্তিৰ তালিকা পৰীক্ষা কৰি যদি চৰকাৰে দুৰ্নীতি বা অসদুপাৰ্জিত সম্পত্তি ধৰা পেলাম বুলি আশা কৰিছে, তেন্তে সি হয় চৰকাৰৰ চৰম নিৰ্বুদ্ধিতাৰ পৰিচায়ক, অথবা সি ৰাইজক প্ৰতাৰণা কৰাৰ এটা কৌশল মাত্ৰ। যিসকল চৰকাৰী বিষয়াই অন্যায় আৰু অসৎ উপায়েৰে ধন-সম্পত্তি স্তূপীকৃত কৰে, তেওঁলোকে চৰকাৰৰ ওচৰত দাখিল কৰা সম্পত্তিৰ তালিকাত সঞ্চিত ক'লা টকা বা বে-নামী সম্পত্তিৰ কথা নিশ্চয় উল্লেখ নকৰে। গতিকে সম্পত্তিৰ তালিকা দাখিল কৰাৰ এই নিয়ম এটা প্ৰহসন মাত্ৰ।

অলপতে এজন উচ্চপদস্থ চৰকাৰী বিষয়াৰ ঘৰত চুৰি হোৱাৰ কাৰণে এনেকুৱা কেতবোৰ ৰহস্য উদ্‌ঘাটিত হৈ পৰিছে— যাৰ ফলত বিষয়াজনক সাময়িকভাৱে বৰ্খাস্ত কৰিব লগা হৈছে। কিন্তু চৰকাৰী

বিষয়াই বিভিন্ন উপায়েৰে অৰ্জন কৰা ধন-সম্পত্তিৰ পৰিমাণ জানিবলৈ চোৰে বাৰে বাৰে চৰকাৰক সহায় কৰি থাকিব— এনে আশা চৰকাৰে নকৰাই ভাল। কেৱল চোৰৰ ওপৰতে নিৰ্ভৰ নকৰি চৰকাৰে নিজও সক্ৰিয় হৈ কিছু চোৰাংচোৱাগিৰী কৰিব লাগিব। চৰকাৰৰ কোন কোন বিভাগত দুৰ্নীতি আৰু অসদোপাৰ্জনৰ সুবিধা বেছি— সেই কথা চৰকাৰে জানে। কোনবোৰ বিষয়াৰ গা ৰাতিটোৰ ভিতৰতে হাতীটোৰ দৰে ফুলি উঠে— সেই কথাও কাৰো দৃষ্টিৰ পৰা গোপন হৈ নাথাকে। চৰকাৰে কেৱল চুৰি হোৱালে বা কাৰো পৰা অভিযোগ পাবলৈ অপেক্ষা নকৰি যদি এনে কিছুমান চৰকাৰী বিষয়াৰ ওপৰত চোকা নজৰ ৰাখে আৰু খৰচি মাৰি তেওঁলোকৰ সা-সম্পত্তিৰ বিষয়ে তদন্ত কৰে, তেতিয়া হ'লেহে দুৰ্নীতিৰ বিৰুদ্ধে অভিযানত এটা ডাঙৰ কাৰ্য্যকৰী পদক্ষেপ লোৱা হ'ব। এই উদ্দেশ্যে চৰকাৰে সকলো সন্দেহভাজন বিষয়াৰ এখন তালিকা কৰা উচিত, আৰু টেষ্ট কেচ হিচাবে কেইজনমান বিষয়াৰ সা-সম্পত্তিৰ বিষয়ে একে সময়তে একাধিক এজেন্সিৰ দ্বাৰাই তদন্ত কৰোৱা উচিত।

মন্ত্ৰীসকলে সম্পত্তিৰ তালিকা দাখিল কৰিব লাগে বুলি চৰকাৰে সিদ্ধান্ত লোৱাৰ বহুদিন পাৰ হৈ গ'ল যদিও তেওঁলোকে এনে তালিকা দাখিল কৰিছে বুলি আমি আজিলৈকে শুনা নাই। আমাৰ মন্ত্ৰীসকলৰ নিশ্চয় ইমান ধন-সম্পত্তি নাই যে সেইবোৰৰ তালিকা কৰিবলৈকে তিনি-চাৰি মাহ সময় লাগিব। অৱশ্যে ৰাইজে গম নোপোৱাকৈ তেওঁলোকে যদি মুখ্যমন্ত্ৰীৰ ওচৰত এনে তালিকা দাখিল কৰিছে— সেই কথা আমি নাজানো। কিন্তু মন্ত্ৰীসকলৰ যি ধন-সম্পত্তিৰ তালিকা বিধান সভাৰ যোগেদি ৰাইজক জানিবলৈ দিয়া নহয় বা যি তালিকা পৰীক্ষা কৰি চোৱা নহয়, তেনে তালিকা দাখিল কৰা নকৰাৰ একো অৰ্থ হয়। গতিকে আমি ভাবোঁ যে মন্ত্ৰীসকলে ইতিমধ্যেই যদি তেওঁলোকৰ সম্পত্তিৰ হিচাব দাখিল কৰিছে, তেন্তে সেই হিচাব বিধান সভাত পাঠ কৰি শুনোৱা উচিত। যদিহে মন্ত্ৰীসভাই নিজেই এনে এটা সিদ্ধান্ত লৈ আজিলৈকে সেই সিদ্ধান্ত কাৰ্য্যকৰী কৰা নাই, অৰ্থাৎ সম্পত্তিৰ হিচাব দাখিল কৰা নাই, তেন্তে তেওঁলোকৰ এই আচৰণক তেওঁলোকৰ কৰ্তব্য-চ্যুতি আৰু আন্তৰিকতাহীনতাৰ আৰু এটা অতিৰিক্ত প্ৰমাণ বুলি গণ্য কৰাৰ বাহিৰে আমাৰ আন কোনো মন্তব্য নাই। সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিবলৈ একোটা ঘোষণা কৰি সেই ঘোষণা মতে কাম কৰি নগ'লে চৰকাৰৰ বিশ্বাসযোগ্যতা নষ্ট হয়।

নিষিদ্ধ কিতাপ

তুৰস্কৰ চৰকাৰে কেইবাখনো ভাৰতীয় কিতাপ সেই দেশত নিষিদ্ধ কৰি দিছে বুলি বাতৰি ওলাইছে। নিষিদ্ধ কিতাপ কেইখনৰ ভিতৰত হিন্দুসকলৰ সৰ্বশ্ৰেষ্ঠ ধৰ্মগ্ৰন্থ 'গীতা' আৰু ডঃ ৰাধাকৃষ্ণণৰ A Hindu View of Life নামৰ কিতাপ দুখনো আছে। তুৰস্কত এই ভাৰতীয় কিতাপ কেইখন নিষিদ্ধ হোৱাৰ ফলত স্বাভাৱিকতেই ভাৰতত প্ৰতিবাদৰ ধুমুহা উঠিছে। পাৰ্লিয়ামেণ্টত প্ৰশ্ন উঠিছে, বাতৰি কাকতত বহুতো প্ৰতিবাদ-পত্ৰ প্ৰকাশিত হৈছে।

যিসকল লোকে চিন্তাৰ স্বাধীনতা আৰু ভাবৰ আদান-প্ৰদানৰ অবাধ সুবিধাক বৌদ্ধিক বিকাশৰ এটা প্ৰধান চৰ্ত আৰু সভ্য জীৱনৰ এটা মৌলিক অধিকাৰ বুলি গণ্য কৰে, তেওঁলোকে কোনো দেশতেই কোনো কিতাপ নিষিদ্ধ হোৱাটো কেতিয়াও বাঞ্ছা নকৰে। তুৰস্কৰ চৰকাৰে গীতা বা A Hindu View of Life নিষিদ্ধ কৰাত ভাৰতীয় সকলৰ খং উঠাটো অতি স্বাভাৱিক। কিন্তু ভাৰতীয়সকলে এই কথা গম পায়নে যে ভাৰত চৰকাৰেও যোৱা পঁচিশ বছৰৰ ভিতৰত প্ৰায় ত্ৰিশখনতকৈ বেছি অতি উৎকৃষ্ট আৰু

ভাবোদ্দীপক বিদেশী কিতাপ ভাৰতত নিষিদ্ধ বুলি ঘোষণা কৰি থৈছে। এই নিষিদ্ধ কিতাপবোৰৰ ভিতৰত অব্রি মেনেনৰ 'Rama Retold' স্বামী অগেহানন্দৰ 'Ochre Rode' আৰু আৰ্থাৰ কোয়েষ্টলাৰৰ 'The Robbot and the lotus' নামৰ কিতাপো আছে। নিষিদ্ধ বুলি ঘোষণা কৰাৰ আগতে স্বামী অগেহানন্দ আৰু আৰ্থাৰ কোয়েষ্টলাৰৰ কিতাপ দুখন পঢ়ি পোৱাৰ সৌভাগ্য আমাৰ হৈছিল। এই দুখন কিতাপ নিষিদ্ধ কৰাৰ একো যুক্তিতো নায়েই বৰং ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ এনে মৰ্মভেদী সমালোচনাৰ পৰা ভাৰতীয় পাঠকসকলৰ বঞ্চিত কৰি ৰখাটো এটা অপৰাধ বুলিহে গণ্য কৰিব পাৰি।

যিহওক, তুৰস্কৰ চৰকাৰে ভাৰতীয় কিতাপ নিষিদ্ধ কৰাত প্ৰতিবাদৰ ধুমুহা উঠিছে, কিন্তু ভাৰত চৰকাৰেও এতিয়ালৈকে কিমান উৎকৃষ্ট বিদেশী কিতাপ নিষিদ্ধ কৰিছে— ভাৰতীয় বুদ্ধিজীৱীসকলে তাৰ খবৰেই নাপায়। স্বৰ্গীয় চৰ্দাৰ কে এম পানিকৰে এবাৰ পৰিচিত এজন বিখ্যাত ভাৰতীয় লেখকক এনেকুৱা বিশখন নিষিদ্ধ কিতাপৰ তালিকা দি কৈছিল— "এই কিতাপবোৰ ভাৰতবৰ্ষত চৰকাৰী নিৰ্দেশত নিষিদ্ধ, অথচ তাৰ বিৰুদ্ধে কোনো ভাৰতীয় মনীষীয়ে এতিয়ালৈকে প্ৰতিবাদ কৰা নাই।" ভাৰতীয় লিখকজনে তেতিয়া পানিকৰক প্ৰশ্ন কৰিলে— "আপুনি নিজে কিয় প্ৰতিবাদ কৰা নাই? সকলো জানিও আপুনি নিজে কিয় নীৰৱ হৈ আছে?" চৰ্দাৰ পানিকৰে অকপটভাৱে স্বীকাৰ কৰিলে— "মই প্ৰতিবাদ কৰা নাই, কাৰণ মই ভাৰত চৰকাৰৰ পৰা সন্মান আৰু চাকৰিৰ ঘোচ লৈছোঁ। বাকী ভাৰতীয় বুদ্ধিজীৱীসকলেও প্ৰতিবাদ কৰাৰ কোনো আশা নাই, কাৰণ তেওঁলোকৰ প্ৰত্যেকেই কোনো নহয় কোনো এটা চৰকাৰী বা আধা-চৰকাৰী কমিচন বা প্ৰতিষ্ঠানৰ লগত জড়িত, অথবা তেওঁলোকে পদ্মশ্ৰী জাতীয় উপাধি লাভ কৰিছে, অথবা অকাডেমি পুৰস্কাৰ আৰু অন্যান্য ৰাষ্ট্ৰীয় সন্মান পোৱাৰ আশাত তেওঁলোকে নিজৰ গোঁফত তেল মখাত ব্যস্ত।

সাপ্তাহিক নীলাচল, ২৩১ সংখ্যা ঃ ১৬ মে', ১৯৭৩ চন

ন্যায় আৰু ন্যায়-পালিকা

Democratic liberty exists only for those, who possess something.

Dr. Alexis Carrel

যোৱা ২৬ এপ্রিল তাৰিখে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ এজন নতুন মুখ্য ন্যায়াধীশ নিযুক্ত কৰা হ'ল। যোৱা ২৬ বছৰে অনুসৰণ কৰি অহা জ্যেষ্ঠতাৰ নীতি অনুসৰি শ্রীঅজিন নাথ ৰায় মুখ্য ন্যায়াধীশ হ'ব নালাগিছিল, কাৰণ তেওঁৰ ওপৰতো তিনিজন জ্যেষ্ঠতম ন্যায়াধীশ আছিল। কিন্তু প্রচলিত নিয়ম ভঙ্গ কৰি তিনিজনকৈ জ্যেষ্ঠতম ন্যায়াধীশক পদোন্নতিৰ পৰা বঞ্চিত কৰি শ্রীঅজিত নাথ ৰায়ক মুখ্য ন্যায়াধীশ নিযুক্ত কৰা হ'ল। চৰকাৰৰ এই কাৰ্য্যই সমগ্র দেশ ব্যাপী এটা প্রচণ্ড বিতৰ্কৰ সূচনা কৰিছে। যিহেতু এই বিতৰ্কৰ লগত আমাৰ ৰাষ্ট্রীয় জীৱনৰ এটা অতি গুৰুত্বপূর্ণ মৌলিক প্রশ্ন জড়িত হৈ আছে, সেই কাৰণে প্রত্যেক সমাজ সচেতন লোকেই এই বিষয়টোৰ ওপৰত নিজৰ মতামত স্পষ্টভাৱে ব্যক্ত কৰা প্রয়োজন হৈ পৰিছে।

যিসকল লোকে এই নিযুক্তিৰ বিৰোধিতা কৰিছে, তেওঁলোকে ক'ব খোজে যে এটা স্বতন্ত্র আৰু ৰাজনৈতিক প্রভাৱমুক্ত ন্যায়পালিকাই হ'ল আইনৰ শাসন, গণতন্ত্র আৰু ব্যক্তি স্বাধীনতাৰ একমাত্র ৰক্ষক— চৰকাৰৰ মৰ্জী মতে চলিব নোখোজা তিনিজন ন্যায়াধীশক পদোন্নতিৰ পৰা বঞ্চিত কৰি আৰু নিতান্ত ৰাজনৈতিক বিবেচনাত শ্রীঅজিত নাথ ৰায়ক মুখ্য ন্যায়াধীশ হিচাবে নিযুক্ত কৰি উচ্চতম ন্যায়ালয়ৰ এই স্বাতন্ত্র্য আৰু ভাবমূৰ্তি চিৰকালৰ কাৰণে খৰ্ব কৰা হ'ল। এতিয়া যিহেতু চৰকাৰৰ ৰাজনৈতিক দৰ্শনৰ প্রতি কোনো আনুগত্যকেই পদোন্নতিৰ মাপকাঠি বুলি ধাৰ্য্য কৰা হ'ল, ইয়াৰ ফলত ন্যায়াধীশসকলে নিজৰ বিচাৰ-বুদ্ধিৰ স্বাধীনতা হেৰুৱাই পেলাব— কাৰণ পদোন্নতিৰ লালসাত তেওঁলোকে চৰকাৰৰ মন যোগাই চলিবলৈ প্রচেষ্টা কৰিব। ইয়াৰ ফলস্বৰূপে ন্যায়পালিকা চৰকাৰৰ বহুতীয়া হৈ পৰিব আৰু তাৰ অৱধাৰিত পৰিণাম স্বৰূপে দেশৰ পৰা ক্রমে ক্রমে গণতন্ত্র বিলুপ্ত হৈ চৰকাৰী স্বৈৰাচাৰতন্ত্রৰ সূচনা কৰিব।

চৰকাৰৰ আৰু তেওঁলোকৰ সমৰ্থকসকলৰ পক্ষৰ পৰা ঘাইকৈ দুটা যুক্তি দিয়া হৈছে। প্রথমতো যুক্তি হৈছে এই যে মুখ্য ন্যায়াধীশৰ নিযুক্তিৰ ক্ষেত্রত জ্যেষ্ঠতাৰ নীতি অনুসৰণ কৰিব নেলাগে বুলি চৰকাৰে নিজেই একো সিদ্ধান্ত লোৱা নাই। এইক্ষেত্রত চৰকাৰে ১৯৫৮ চনতেই আয়োগে দিয়া পৰামৰ্শহে কাৰ্য্যকৰী কৰিছে। দ্বিতীয়তে ১৯৬৭ চনত অধুনা-বিখ্যাত গোলোক নাথ গোচৰত দিয়া ৰায় আৰু ১৯৭০ চনত বেঙ্ক জাতীয়কৰণত গোচৰত দিয়া ৰায়ৰ দ্বাৰা উচ্চতম ন্যায়লয়ে চৰকাৰৰ প্রগতিমুখী সঙ্কল্পবোৰৰ কাৰ্য্যকৰী কৰাৰ ক্ষেত্রত বাধা নিষেধৰ সৃষ্টি কৰিছে, তালৈ চাই ন্যায়াধীশসকলৰ সামাজিক দৰ্শন আৰু যুগ-চেতনাও বিচাৰ কৰি চোৱাৰ প্রয়োজন হৈ পৰিছে। এই প্রসঙ্গত এই কথাও উল্লেখযোগ্য যে ১৯৫১ চনৰ পৰাই চৰকাৰে বহুবাৰ মৌলিক অধিকাৰকে ধৰি সংবিধানৰ একাধিক ধাৰাৰ সংশোধন কৰি আহিছে আৰু উচ্চতম ন্যায়ালয়েও সংবিধান সংশোধন কৰাৰ ক্ষেত্রত সংসদৰ পূৰ্ণ অধিকাৰ স্বীকাৰ কৰি লৈছিল। কিন্তু ১৯৬৭ চনত গোলোক নাথ গোচৰত উচ্চতম ন্যায়ালয়ে নিজৰ মত সলনি কৰি মাত্র ৬-৫ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা

এই বুলি এটা নতুন ৰায় দিলে যে সংবিধানৰ মৌলিক অধিকাৰ সম্পৰ্কীয় ধাৰাবোৰ সংশোধন কৰিবলৈ সংসদৰ একো অধিকাৰ নাই। স্বাভাৱিকতেই এই নতুন ৰায়ে সংসদৰ সমুখত এটা ডাঙৰ প্ৰতিবন্ধকৰ সৃষ্টি কৰিলে। যদি ধৰি লোৱা হয় যে মুক্ত গণতান্ত্ৰিক পদ্ধতিৰ দ্বাৰা নিৰ্বাচিত সংসদে জনসাধাৰণৰ নতুন আশা-আকাংক্ষা আৰু দাবী প্ৰতিফলিত কৰে, তেন্তে সেই আশা-আকাংক্ষা আৰু দাবীবোৰ পূৰণ কৰিবলৈ সংসদৰ পূৰ্ণ কৰ্তৃত্ব থকা উচিত। গণতন্ত্ৰ ব্যৰ্থ বা বিপন্ন হৈ পৰিব তেতিয়াহে— যেতিয়া গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত এটা চৰকাৰে জনসাধাৰণৰ ওচৰত দিয়া প্ৰতিশ্ৰুতি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অক্ষম হৈ পৰিব। এতিয়া দেখা গৈছে যে কাৰ্য্যতঃ ঠিক সেইটোৱেই হৈছে। জনসাধাৰণে দেশত সমাজবাদ প্ৰতিষ্ঠা হোৱাটো বিচাৰে। শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক উপায়েৰে দেশত সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ ভাৰতৰ সংবিধানখন অনুকূল হয় নে নহয়— সেই সম্পৰ্কে বহু দিনৰ পৰাই বহুজনৰ মনত গভীৰ সন্দেহ আছিল। ১৯৬৭ চনৰ পৰাই উচ্চতম ন্যায়ালয়ৰ মতি-গতিয়ে সেই সন্দেহ ঘনীভূত কৰি তুলিছিলে। এই কথাও সত্য যে যি উচ্চতম ন্যায়ালয়ে ১৯৬৭ চনৰ আগলৈকে সংবিধানৰ মৌলিক অধিকাৰ সম্পৰ্কীয় ধাৰাবোৰ সশোধন কৰিবলৈ সংসদৰ কৰ্তৃত্ব আছে বুলি মানি লৈছিল, সেই একেখন উচ্চতম ন্যায়ালয়েই যেতিয়া মাত্ৰ ৬-৫ সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা নিজৰ মত সলনি কৰিলে, তেতিয়াই এই কথা প্ৰমাণিত হ'ল যে ন্যায়াধীশসকলৰ দৃষ্টি-ভংগী বা বিচাৰ-বুদ্ধিও সম্পূৰ্ণৰূপে বিষয়নিষ্ঠ হোৱাৰ কোনো নিশ্চয়তা নাই; তেওঁলোকৰ ব্যক্তিগত মানসিক প্ৰৱণতা আৰু সামাজিক দৰ্শনে নিশ্চয় তেওঁলোকৰ দৃষ্টিভংগীক প্ৰভাৱিত কৰে। শ্ৰীমোহন কুমাৰ মঙ্গলমৰ এই মত যুক্তিৰ দ্বাৰা খণ্ডন কৰিবলৈ কোনো উপায় নাই যে 'অ-ৰাজনৈতিক বিচাৰক বুলি এটা আজৱ জীৱ পৃথিৱীত ক'তো নাই আৰু বিচাৰকসকলৰ দৃষ্টিভঙ্গীতো তেওঁলোকৰ শ্ৰেণী-স্বাৰ্থ আৰু শ্ৰেণী-চৰিত্ৰহে ফুটি উঠে।' সি যি কি নহওক, এই ক্ষেত্ৰত প্ৰধান প্ৰশ্ন হ'ল— ৫৫ কোটি মানুহৰ আশা-আকাংক্ষাক প্ৰতিফলিত কৰা সংসদৰ সংকল্পক যদি ৫ জন বা ৬ জন ব্যক্তিৰ বিচাৰ-বুদ্ধিয়ে প্ৰতিহত কৰিব খোজে, তেতিয়া কি উপায়? সংবিধানৰ কাৰণে জনসাধাৰণ, নে জনসাধাৰণৰ কাৰণে সংবিধান?

সম্পত্তিৰ সংজ্ঞা আৰু মালিকী স্বত্ব নিৰ্ণয়েই সমাজবাদৰ প্ৰথম চৰ্ত। এই নিৰ্ণয়ত যদি ন্যায়পালিকা আৰু জনসাধাৰণৰ (অৰ্থাৎ সংসদৰ) মাজত মত-বিৰোধ হয়, তেন্তে জনসাধাৰণৰ মতেই নিশ্চয় বাহাল থাকিব লাগিব, কাৰণ জনসাধাৰণৰ ওপৰত দ্বিতীয় কোনো কৰ্তৃত্ব থাকিব নোৱাৰে। আইন মন্ত্ৰী শ্ৰীগোখেলৰ এই উক্তিও সম্পূৰ্ণ সমৰ্থনযোগ্য যে ন্যায়পালিকাই সংবিধানৰ অধীনত থাকিহে কাম কৰিব লাগিব, ওপৰত থাকি নহয়। সামাজিক ন্যায়ৰ আদৰ্শ এটা পৰম আৰু অপৰিবৰ্তনীয় আদৰ্শ নহয়; ই শ্ৰেণী আৰু যুগ-সাপেক্ষ। কিন্তু আজি যিসকল লোকে এক ৰক্ষণশীল ন্যায়পালিকা আৰু অপৰিবৰ্তনীয় মৌলিক অধিকাৰৰ হৈ ওকালতি কৰিছে, তেওঁলোকে বোধহয় অৱলীলাক্ৰমেই ধৰি লৈছে যে ই এটা পৰম অপৰিবৰ্তনীয় আদৰ্শ। মৌলিক অধিকাৰ, গণতন্ত্ৰ, ব্যক্তি-স্বাধীনতা এইবোৰ শব্দই কোনোদিন ক্ষুধাৰ জ্বালা চিনি নোপোৱা. সুবিধাভোগী বিত্তবান লোকসকলৰ মনত এক বিশেষ ধৰণৰ আবেগৰ স্পন্দন আৰু ভাবানুষংগ সৃষ্টি কৰে। আমি কোনোৱেই এনে প্ৰতিক্ৰিয়াৰ পৰা মুক্ত নহয়। আমি যদি নিজৰ চেতনাক প্ৰসাৰিত কৰিব নোৱাৰোঁ, আমি যদি মৌলিক অধিকাৰ আৰু ব্যক্তি-স্বাধীনতা আদি বিষয়বোৰক কেৱল নিজৰ সুবিধাভোগী নিৰাপদ স্থিতিৰ দৃষ্টিভংগীৰ পৰা নাচাই কোটি কোটি নিৰন্ন সৰ্বহাৰা মানুহৰ দৃষ্টিভংগীৰ পৰা চোৱাৰ কল্পনা শক্তি আয়ত্ত কৰিব নোৱাৰোঁ, তেন্তে আমি স্বাভাৱিকতেই বাস্তৱ চেতনাতকৈ ভাবাবেগৰ দ্বাৰ চালিত হৈ চৰকাৰৰ এই কাৰ্য্যৰ মাজত ন্যায়পালিকাৰ স্বাতন্ত্ৰ্য আৰু গণতন্ত্ৰৰ বিপদ-সংকেত দেখা পাম। কিন্তু ক্ষুধাৰ জ্বালা চিনি

নোপোৱা এই সুবিধাভোগী লোকসকল দেশৰ সমস্ত জনতাৰ এটা অতি ক্ষুদ্ৰ অংশ মাথোন। এই লোকসকলে যি মৌলিক অধিকাৰৰ কথা কয়, দেশৰ কোটি কোটি সংখ্যাগৰিষ্ঠ সৰ্বহাৰা মানুহৰ কাৰণে সেই মৌলিক অধিকাৰৰ কোনো অৰ্থ নাই, কাৰণ অন্তহীন দাৰিদ্ৰ্যৰ পাষাণ-ভাৰৰ তলত চিৰকাল পিষ্ট হৈ থকা এই মানুহবোৰৰ নিজৰ প্ৰাণৰ ওপৰতেই একো অধিকাৰ নাই। নিজৰ প্ৰাণৰ ওপৰতেই যাৰ একো অধিকাৰ নাই, তাৰ আন একো অধিকাৰ নিশ্চয় থাকিব নোৱাৰে। উচ্চতম ন্যায়ালয়ৰ গাঁথনিত চৰকাৰে যি পৰিবৰ্তন আনিব খুজিছে, সেই পৰিবৰ্তনক আমি মুষ্টিমেয় সুবিধাভোগীৰ দৃষ্টিৰে নাচাই কোটি কোটি সৰ্বহাৰা মানুহৰ দৃষ্টি-ভংগীৰ পৰা চাব লাগিব। লগতে আমি এই কথাও মনত ৰাখিব লাগিব যে সুবিধাভোগী শ্ৰেণীটোৱে যদি আলাপ-আলোচনাৰ যোগেদি 'সূচ্যগ্ৰ মেদিনী'ও এৰি দিবলৈ ৰাজী নহয়, তেন্তে কুৰুক্ষেত্ৰ অনিবাৰ্য্য আৰু তাৰ পৰিণামো সহজেই অনুমেয়। যি সকল লোকে ৰক্তাক্ত বিপ্লৱৰ পথলৈ নগৈ শান্তিপূৰ্ণ, গণতান্ত্ৰিক আৰু সাংবিধানিক উপায়েৰে দেশত সমাজবাদ প্ৰতিষ্ঠিত হোৱাটো কামনা কৰে, তেনেকুৱা সকলো লোকেই চৰকাৰৰ এই কাৰ্য্যক শুদ্ধ পথত এটা অৰ্থপূৰ্ণ পদক্ষেপ বুলি সমৰ্থন জনাব।

ভেজাল গণতন্ত্ৰ

উৱাটাৰ গেট-কেলেংকাৰীয়ে আমেৰিকান নিৰ্বাচন আৰু নিক্সন প্ৰশাসনৰ যিবোৰ অবিশ্বাস্য কলঙ্কৰ কাহিনী উদঘাটিত কৰি দিছে সেইবোৰৰ ভিতৰত প্ৰধান এটা হ'ল নিক্সনৰ কাৰণে গোপন ধন সংগ্ৰহ। বে-আইনী আৰু দুৰ্নীতিপৰায়ণ উপায়েৰে সংগ্ৰহ আৰু খৰচ কৰা কোটি কোটি ডলাৰে কেৱল যে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনকেই এটা প্ৰহসনত পৰিণত কৰিছে এনে নহয়, ই সমস্ত প্ৰশাসন ব্যৱস্থাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে দুৰ্নীতিৰ বিষ-বাষ্প সঞ্চাৰিত কৰি দি গণতন্ত্ৰৰ ওপৰত মানুহৰ বিশ্বাসৰ ভেটি কঁপাই তুলিছে। দুৰ্নীতিৰ দ্বাৰা কলুষিত ধনৰ বিষাক্ত স্পৰ্শ আজি গণতন্ত্ৰৰ কাৰণে আটাইতকৈ ডাঙৰ বিপদৰ কাৰণ হৈ উঠিছে।

কিন্তু আমেৰিকাত গণতন্ত্ৰৰ এই দুৰ্যোগৰ অন্ধকাৰৰ মাজত এটা আশাৰ ৰূপালী ৰেখাও দেখা গৈছে। সেইটো হ'ল সেই দেশৰ বাতৰি কাকত সমূহৰ বিৰত্বপূৰ্ণ ভূমিকা। অলপতে ভাৰতৰ চাৰিটা বিৰোধী ৰাজনৈতিক দলে ৰাষ্ট্ৰপতিলৈ দিয়া এখন আবেদনত ক'বৰ দৰে মাত্ৰ দুজন সাংবাদিকৰ বিৰামবিহীন সত্যানুসন্ধানৰ ফলতেই মহা-প্ৰতাপশীল নিক্সন প্ৰশাসনৰ বিৰাট সৌধটো আজি যিভাবে ভাগি থান-বান হৈ যোৱাৰ উপক্ৰম হৈছে— সি কাৰো মনত প্ৰশংসাৰ উদ্ৰেক নকৰাকৈ থাকিব নোৱাৰে। নিৰ্ভিক আৰু মুক্ত সংবাদ-পত্ৰই যে গণতন্ত্ৰৰ অন্যতম প্ৰধান ৰক্ষা-কবচ এই কথা আমেৰিকাৰ সাম্প্ৰতিক ঘটনাৱলীয়ে নতুনকৈ প্ৰমাণ কৰি দেখুৱালে।

কিন্তু কেৱল আনৰ ওপৰত প্ৰশংসা বৰ্ষণ কৰিয়েই আমাৰ কৰ্তব্যৰ ওৰ নপৰে; আমি নিজৰ কৰ্তব্য যথাযথভাৱে কৰিছোঁ নে নাই, এই কথাও ভাবি চোৱাৰ সময় হৈছে। ভাৰতৰ নিৰ্বাচন পদ্ধতি দুৰ্নীতিৰ পৰা সম্পূৰ্ণ মুক্ত হৈ আছেনে? গোপন পুঁজি বা ক'লা টকাই আমাৰ দেশৰ নিৰ্বাচনত কিমান দূৰ প্ৰভাৱ বিস্তাৰ কৰিছে? প্ৰচলিত নিৰ্বাচন পদ্ধতিয়ে জনমতক শুদ্ধভাৱে প্ৰতিফলিত কৰেনে? নিৰ্বাচনৰ লগত জড়িত বে-আইনী আৰু দুৰ্নীতিমূলক কাৰ্য্য-কলাপবোৰ জনসাধাৰণৰ দৃষ্টিগোচৰ কৰাত ভাৰতীয় সংবাদ-পত্ৰ সমূহ কিমান দূৰ কৃতকাৰ্য্য হৈছে? নিৰ্বাচনী দুৰ্নীতিয়ে আমাৰ দেশৰ প্ৰশাসন আৰু অৰ্থনীতিৰ ওপৰত কেনে ধৰণৰ প্ৰভাৱ পেলাইছে? আমাৰ দেশতো আজি অতি জৰুৰী প্ৰশ্ন হৈ পৰিছে, আৰু এই প্ৰশ্নবোৰৰ উত্তৰৰ ওপৰতে আমাৰ গণতন্ত্ৰৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। আমি সকলো সময়তে মনত ৰখা উচিত যে সকলো প্ৰকাৰৰ অসৎ প্ৰভাৱৰ পৰা মুক্ত ন্যায়সংগত নিৰ্বাচনেহে জনমতক শুদ্ধভাৱে প্ৰতিফলিত কৰিব পাৰে আৰু জনমতৰ শুদ্ধ প্ৰতিফলনেই হ'ল গণতন্ত্ৰৰ প্ৰধান জীৱনী-শক্তি। নিৰ্বাচনৰ ওপৰত অসৎ ধনৰ কু-প্ৰভাৱে নানা ধৰণৰ মাৰাত্মক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। প্ৰথমতে বিপুল পৰিমাণৰ ধন সংগ্ৰহৰ সুবিধা বা ক্ষমতা কেৱল শাসক দলৰহে থাকে, আৰু শাসক দলে যদি সেই সুবিধা-সুযোগ লৈ প্ৰধানকৈ ধনৰ জোৰেৰেই নিৰ্বাচনী যুদ্ধত জয়লাভ কৰিবলৈ সক্ষম হয়, তেতিয়া হ'লে বিৰোধী দলসমূহ ক্ৰমে ক্ৰমে হতাশাগ্ৰস্ত হৈ পৰে আৰু অৱশেষত গণতন্ত্ৰৰ বিকল্প পথ বিচাৰিবলৈ বাধ্য হৈ পৰে। নিৰ্বাচনে সদায় চেফ্‌টি ভালভ্‌ৰ কাম কৰে। এই চেফ্‌টি ভালভ্‌ অকাৰ্য্যকৰী হৈ পৰিলেই ধ্বংসকাৰী বিস্ফোৰণ অনিবাৰ্য্য হৈ পৰে। দ্বিতীয়তে, শাসক দলে ঘাইকৈ যিসকল বৃহৎ ব্যৱসায়ী বা উদ্যোগপতিৰ পৰা ধন সংগ্ৰহ কৰে, তেওঁলোকে প্ৰতিদানৰ

আশা নকৰাকৈ কেতিয়াও ধন নিদিয়ে। সেইসকল লোকক দানৰ প্ৰতিদান দিবলৈ যাওঁতে শাসকদলে পদে পদে ধনিক শ্ৰেণীৰ লগত আপোচ কৰিব লগা হয় আৰু জনসাধাৰণৰ লগত কৰিব লগা হয় প্ৰতাৰণা; কাৰণ ধনিক শ্ৰেণী আৰু দুখীয়া জনসাধাৰণৰ স্বাৰ্থ প্ৰায়েই পৰস্পৰ বিৰোধী আৰু ধনিক শ্ৰেণীৰ সহায়েৰে ক্ষমতা লাভ কৰি সেই ক্ষমতা দুখীয়া জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে প্ৰয়োগ কৰিবলৈ আশা কৰাটো বাতুলতা মাথোন। তৃতীয়তে ভাৰতৰ প্ৰচলিত নিৰ্বাচন পদ্ধতিৰ এনে এটা ডাঙৰ ত্ৰুটি হৈছে— যাৰ ফলত বিভিন্ন দলে লাভ কৰা ভোটৰ মুঠ সংখ্যাই বিধানসভা বা সংসদত তেওঁলোকৰ প্ৰতিনিধিত্ব নিৰূপণ নকৰে। যোৱা আটাইকেইটা নিৰ্বাচনৰ ফলাফল বিশ্লেষণ কৰি চালেই দেখা যাব যে সৰ্বমুঠ ভোটৰ শতকৰা মাত্ৰ ৪৩ ভাগ বা তাতোকৈ কম ভোট লাভ কৰিও কংগ্ৰেছ দলে সংসদ বা বিধানসভাত শতকৰা ৭০ খন আসন লাভ কৰিবলৈ সমৰ্থ হৈছে; কিন্তু আনহাতে অন্যান্য বিৰোধী দলবোৰে শতকৰা ৩০/৪০ ভাগ ভোট লাভ কৰিও সংসদ বা বিধানসভাত আসন পাইছে মাত্ৰ শতকৰা ৫ খন বা ১০ খন। অৰ্থাৎ আন কথাত ক'বলৈ গ'লে কংগ্ৰেছে সংখ্যালঘিষ্ঠ ভোট লাভ কৰিও সংসদ আৰু বিধান সভাত সংখ্যা-গৰিষ্ঠ দলৰ ক্ষমতা আৰু মৰ্যাদা লাভ কৰি আহিছে। স্পষ্টভাৱেই ইয়াৰ যোগেদি জন-মতৰ শুদ্ধ প্ৰতিফলন হোৱা নাই। এই অৱস্থা আৰু কিছুদিন অব্যাহতভাৱে চলি থাকিবলৈ হ'লে কোনো কোনো উগ্ৰপন্থী দলে প্ৰচলিত নিৰ্বাচন পদ্ধতিৰ দ্বাৰা ক্ষমতা দখল কৰিব পৰাৰ কোনো আশা নেদেখি অ-সাংবিধানিক বা হিংসাত্মক উপায়েৰে ক্ষমতা দখল কৰিবলৈ চেষ্টা কৰাও একো অস্বাভাৱিক বা অসম্ভৱ কথা নহয়। দেখা গৈছে যে আমাৰ নিৰ্বাচন-পদ্ধতিৰ মাজতেই গণতন্ত্ৰৰ ধ্বংসৰ বীজ নিহিত হৈ আছে।

কেৱল টকাৰ জোৰেৰেই কংগ্ৰেছে ক্ষমতা দখল কৰি আহিছে— এই কথা নিশ্চয় সঁচা নহয়। কিন্তু কংগ্ৰেছৰ নিৰ্বাচনী বিজয়ত টকাই যে এটা প্ৰধান ভূমিকা লৈ আহিছে— সেই বিষয়ে সন্দেহৰ কোনো অৱকাশ নাই। অৱশ্যে নিৰ্বাচন এটা ব্যয় সাপেক্ষ কাৰবাৰ, আৰু তাৰ কাৰণে টকা খৰচ কৰিব লাগিবই। নিৰ্বাচনৰ কাৰণে আইনসম্মতভাৱে ধন সংগ্ৰহ কৰা আৰু খৰচ কৰাত কোনো ক্ষতি নাই। কিন্তু আমাৰ ৰাষ্ট্ৰীয় জীৱনত বহুমুখী বিপৰ্য্যয়ৰ সৃষ্টি কৰিছে নিৰ্বাচনৰ কাৰণে সংগ্ৰহ কৰা গোপন পুঁজি আৰু ক'লা টকাই। প্ৰত্যেকজন নিৰ্বাচন প্ৰাৰ্থীয়ে সৰ্বোচ্চ পৰিমাণৰ কিমান টকা খৰচ কৰিব পাৰে— আইনত তাৰ এটা সীমা বান্ধি দিয়া আছে। নিৰ্বাচনৰ অন্তত প্ৰত্যেকজন প্ৰাৰ্থীয়েই খৰচ কৰা ধনৰ হিচাব দাখিল কৰিব লাগে, আৰু সৰ্বোচ্চ সীমা চেৰাই গ'লে দণ্ড ভুগিব লাগে। কিন্তু এই কথা সকলোৱেই জানে যে নিৰ্বাচনত প্ৰাৰ্থীজনৰ উপৰিও দলেও তেওঁৰ হৈ যথেষ্ট টকা খৰচ কৰে। লোকসভাৰ প্ৰাৰ্থী এজনে আইনত ২৫ হাজাৰ টকাহে খৰচ কৰিব পাৰে; কিন্তু মাত্ৰ ২৫ হাজাৰ টকা খৰচ কৰি যে কোনেও নিৰ্বাচনত জিকিব নোৱাৰে, সেই কথা আজিৰ দিনত দুগ্ধ-পোষ্য শিশু এটিয়েও জানে। বিধান সভাৰ নিৰ্বাচনত এজন প্ৰাৰ্থীয়ে সৰ্বোচ্চ ৯.৫ হাজাৰ টকাহে খৰচ কৰিব পাৰে; কিন্তু ১৯৭২ চনত সাধাৰণ নিৰ্বাচনত অসমৰ কোনো এজন কংগ্ৰেছ প্ৰাৰ্থীয়েই ২৫ হাজাৰ টকাতকৈ কম খৰচ কৰা নাই; আটাইতকৈ বেছি খৰচ কৰা প্ৰাৰ্থীজনে (বিশ্বস্ত সূত্ৰৰ পৰা জনা মতে) খৰচ কৰিছিল ১ লাখ ২০ হাজাৰ টকা। এই অতিৰিক্ত টকাখিনি ক'ৰ পৰা আহে? সি আহে দলৰ নিৰ্বাচনী পুঁজিৰ পৰা। আগতে কোম্পানী আৰু ব্যৱসায়ী প্ৰতিষ্ঠানবোৰে বিভিন্ন দলৰ নিৰ্বাচনী পুঁজিলৈ দান দিব পৰাৰ নিয়ম আছিল। তেতিয়া অন্ততঃ বিভিন্ন দলৰ নিৰ্বাচনী পুঁজিলৈ ক'ৰ পৰা কিমান টকা আহে তাৰ এটা আংশিক হিচাব পাব পৰাৰ উপায় আছিল। কিন্তু পিচত কোম্পানী আইনৰ সংশোধন কৰি ৰাজনৈতিক দলবোৰে এনেভাৱে ধন সংগ্ৰহ কৰাৰ পথ বন্ধ কৰি দিয়া হ'ল। ফলত আৰম্ভ হ'ল ক'লা

টকাৰ ৰাজত্ব। কাৰণ আগতে কোম্পানীবোৰে যি টকা খাতাত লিখি প্ৰকাশ্যে দিব পাৰিছিল, এতিয়া সেই টকাকে দিব লগা হ'ল গোপনে; আৰু গোপনে দিয়া ধনৰ উৎসও গোপন হ'বলৈ বাধ্য। সকলোৱেই জানে যে ৰাজনৈতিক দুৰ্নীতি, মুদ্ৰা-স্ফীতি, মূল্য-বৃদ্ধি আদি যিবোৰ জটিল সমস্যাই জনসাধাৰণৰ জীৱন দুৰ্বিসহ কৰি তুলিছে, তাৰ কাৰণে বহুলাংশে দায়ী হ'ল দেশৰ ক'লা টকাৰ সমান্তৰাল অৰ্থনীতি। এই ক'লা টকাৰ বিৰুদ্ধে চৰকাৰেও বাইজক শুনোৱাই ঢেঁটু ফালি চিঞৰি থাকে। কিন্তু ওপৰৰ কথাখিনি সামান্য বিশ্লেষণ কৰি চালেই দেখা যাব যে দেশৰ অৰ্থনৈতিক জীৱন পংগু কৰি তোলা এই ক'লা টকাৰ সৃষ্টিত আটাইতকৈ বেছিকৈ অৰিহণা যোগাইছে চৰকাৰে নিজেই। ক'লা টকাৰ ব্যাপক অস্তিত্ব আৰু সৰ্বনাশীয়া ভূমিকাই ভাৰতীয় গণতন্ত্ৰক কিমান দূৰ ভেজাল কৰি তুলিছে— সেই বিষয়ে বিশদ অনুসন্ধান আৰু তথ্য উদঘাটন ভাৰতীয় সাংবাদিকসকলৰ সমুখত এটা ডাঙৰ প্ৰত্যাহ্বান। ১৯৭২ চনৰ আগভাগত বজাৰত চেনিৰ দাম হঠাতে বাঢ়ি গৈছিল, আৰু অৰ্থনীতিবিদসকলে এই মূল্য বৃদ্ধিৰ কোনো ব্যাখ্যা বিচাৰি পোৱা নাছিল। পিচত গুজৱ শুনা গ'ল যে উত্তৰ প্ৰদেশৰ চেনি কলৰ মালিকসকলে কংগ্ৰেছৰ নিৰ্বাচনী পুঁজিলৈ ৮ কোটি টকা গ্ৰাহকৰ পৰা উচল কৰি ল'বলৈকে চৰকাৰে চেনি কলৰ মালিকসকলক চেনিৰ দাম বঢ়াবলৈ অনুমতি দিছিল। উৰিষ্যাৰ কেন্দুপাতৰ ব্যৱসায়ী আৰু উত্তৰ প্ৰদেশৰ চেনি কলৰ মালিকসকলে এই দুয়োটা ব্যৱসায়ৰ জাতীয়কৰণ নকৰিবৰ কাৰণে কংগ্ৰেছৰ নিৰ্বাচনী পুঁজিলৈ কিমান কোটি কোটি টকা গোপনে দান দি আহিছে আৰু তাৰ দ্বাৰাই কংগ্ৰেছী সমাজবাদক ভেজাল কৰি তুলিছে— সি ভাৰতীয় ৰাজনৈতিক বজাৰৰ এটা অতি মুখৰোচক আলোচনাৰ বিষয়।

নিৰ্বাচনী পুঁজিৰ কাৰণে কংগ্ৰেছৰ এই গোপন ধন-সংগ্ৰহৰ আৰু দুটা ক্ষতিকৰ দিশ আছে। প্ৰথমতে, যিহেতু এই গোটেই লেন-দেনটোৱেই গোপনীয়, আৰু তাৰ হিচাব লওঁতা বা দিওঁতা কোনো নাই, সেই কাৰণে কংগ্ৰেছৰ কোন বিষয়ববীয়াই দলৰ নামত সংগ্ৰহ কৰা কিমান ধন প্ৰকৃততে দলৰ পুঁজিলৈ দি বাকী কিমান টকা তেওঁৰ নিজৰ হাতত ৰাখিলে সেই কথা জানিবলৈ কোনো উপায় নাই। দলৰ পাণ্ডাসকলে এনেভাৱে আত্মসাৎ কৰা টকাই ব্যাপক পৰিমাণৰ ৰাজনৈতিক দুৰ্নীতি আৰু মুৰ বেচা-কিনা কৰা ব্যৱসায়ৰ সৃষ্টি কৰে। 'গল্প হ'লেও সঁচা' এনে জাতীয় এটা গুজৱ অনুসৰি ১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে অসমৰ ভূতপূৰ্ব এজন মন্ত্ৰীক নিৰ্বাচনৰ কাৰণে মনোনয়ন নিদিবলৈ ঠিক কৰা হৈছিল; কিন্তু বিপদ হ'ল এইখিনিতে যে কংগ্ৰেছৰ নিৰ্বাচনী পুঁজিৰ কাৰণে সংগ্ৰহ কৰা প্ৰায় ৬ লাখ টকা তেওঁৰ হাতত জমা হৈ আছে। মনোনয়ন নাপালে তেওঁ সেই টকা হাতৰ পৰা এৰি নিদিয়ে। পিচত বাধ্য হৈ সেই অবাঞ্ছিত মানুহজনক মনোনয়ন দিব লাগ হ'ল। কিন্তু মনোনয়ন পোৱাৰ পিছতো তেওঁ বোলে মাত্ৰ ১ লাখ মান টকাহে 'হাত ছাড়া' কৰিলে। বাকী টকাৰে তেওঁ এতিয়াও ৰাজনীতিৰ বজাৰ গৰম কৰি আছে।

এই গোপন পুঁজিৰ দ্বিতীয় বিপদ হ'ল— ইয়াৰ সহায়েৰে দলৰ কৰ্তাসকলে প্ৰাৰ্থীসকলৰ প্ৰতি পক্ষপাতমূলক আচৰণ কৰিবলৈ সুবিধা পায়; অৰ্থাৎ প্ৰিয়পাত্ৰ প্ৰাৰ্থীসকলৰ কাৰণে লাখ লাখ টকা খৰচ কৰি অবাৰ্তিত প্ৰাৰ্থীসকলক আৰ্থিক সাহায্যৰ পৰা সমূলি বঞ্চিত কৰা হয়। অসমত যোৱা সাধাৰণ নিৰ্বাচনত বহুতো প্ৰাৰ্থীৰ প্ৰতি এনে পক্ষপাতমূলক আচৰণ কৰা হৈছিল বুলি প্ৰাৰ্থীসকলৰ নিজৰ মুখৰ পৰাই আমি বহুতো অভিযোগ শুনিবলৈ পাইছিলোঁ। এনে ধৰণৰ আচৰণেও নিৰ্বাচনৰ পবিত্ৰতা নিশ্চয় নষ্ট কৰে।

গণতন্ত্ৰৰ প্ৰতি বিপদ স্বৰূপ হৈ পৰা এই গোপন পুঁজি বা ক'লা টকাৰ সৰ্বনাশীয়া ভূমিকাৰ অন্ত পেলোৱাৰ একমাত্ৰ উপায় হ'ল— নিৰ্বাচনী নিয়মাৱলীত এনে এটা ধাৰা সন্নিৱিষ্ট কৰা যাব যাৰ ফলত

নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰত্যেকটো ৰাজনৈতিক দলেই নিৰ্বাচনী আয়ুক্তৰ ওচৰত নিজৰ আয়-ব্যয়ৰ সম্পূৰ্ণ হিচাব দাখিল কৰিবলৈ বাধ্য থাকিব। বৰ্তমানে কেৱল ব্যক্তিগত প্ৰাৰ্থীসকলেহে এনে ধৰণৰ হিচাব দাখিল কৰিব লাগে; দলসমূহ এই অনুশাসনৰ পৰা সম্পূৰ্ণ মুক্ত। দুৰ্নীতি সম্পৰ্কে তদন্ত কৰিবলৈ নিয়োগ কৰা শান্তনম কমিটিয়ে ১৯৬৪ চনতেই এই পৰামৰ্শ দিছিল। তাৰ পিচতো নিৰ্বাচনী আয়ুক্তসকলে প্ৰত্যেক বাৰৰ নিৰ্বাচনী প্ৰতিবেদনতেই এনে এটা ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি আহিছে, কিন্তু শাসক দলে সেই সুস্থ পৰামৰ্শৰ প্ৰতি কৰ্ণপাত কৰাৰ প্ৰয়োজন এতিয়ালৈকে দেখা নাই। নিৰ্বাচনী আয়-ব্যয়ৰ হিচাব দাখিল কৰিবলৈ শাসক দলৰ এই অনিচ্ছাই কেৱল এই কথাই প্ৰমাণ কৰে যে গোপন পুঁজি বা ক'লা টকাই তেওঁলোকৰ শক্তিৰ অন্যতম প্ৰধান উৎস আৰু এই উৎস বন্ধ নোহোৱালৈকে ভাৰতবৰ্ষত গণতন্ত্ৰ মেঘমুক্ত হোৱা বুলি ক'ব নোৱাৰি। ক'লা টকা বা গোপন পুঁজিৰ বিষ-নিৰ্য্যাসে গণতন্ত্ৰক জীয়াই ৰাখিব নোৱাৰে, তাক জীয়াই ৰাখিব পাৰে কেৱল জনসাধাৰণৰ অকুণ্ঠ বিশ্বাসৰ সঞ্জীৱনী সুধাইহে। স্পষ্টতঃ দেখা গৈছে যে ভাৰতৰ নিৰ্বাচনী পদ্ধতিত বহুতো কেৰোণ আছে, সময় থাকোতেই সেই কেৰোণবোৰ দূৰ কৰিবৰ কাৰণে দেশব্যাপী এটা প্ৰবল জনমত গঢ়ি উঠা দৰকাৰ।

খাদ্য-শস্যৰ চৰকাৰী ব্যৱসায়

খাদ্য ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ কৰি কংগ্ৰেছে এটা পুৰণি প্ৰতিশ্ৰুতি পালন কৰিছে। চৰকাৰৰ এই নীতিক ব্যৰ্থ কৰিবলৈ ন্যস্ত স্বাৰ্থৰ প্ৰতিভূসকলে মৰণ-পণ যুঁজত অৱতীৰ্ণ হৈছে। কিন্তু এই নীতিৰ কৃতকাৰ্য্যতা আজি কেৱল কংগ্ৰেছৰ দলীয় স্বাৰ্থৰ প্ৰশ্ন নহয়, ইয়াৰ কৃতকাৰ্য্যতাৰ ওপৰত সমগ্ৰ ৰাষ্ট্ৰৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰ কৰিছে। কেনেবাকৈ কাৰ্য্যসূচী ব্যৰ্থ হ'বলৈ হ'লে কেৱল যে কংগ্ৰেছ চৰকাৰেই চৰম ৰাজনৈতিক সংকটৰ সন্মুখীন হ'ব এনে নহয়, ইয়াৰ ব্যৰ্থতাই প্ৰতিক্ৰিয়াশীল শক্তিসমূহক নতুন তেজেৰে বলিয়ান কৰি তুলিব, আৰু ফলত সমাজবাদৰ পথত দেশৰ অগ্ৰগতি পুনৰ পশ্চাদমুখী হৈ পৰিব। খাদ্য অৰ্থনীতি আৰু খাদ্য বজাৰৰ আধুনিকীকৰণ আৰু ঔদ্যোগীকৰণৰো এটা প্ৰধান চৰ্ত, কাৰণ সাম্ৰাজ্যবাদী অৰ্থনীতিৰ ওপৰত নিৰ্ভৰ কৰি দেশৰ দ্ৰুত ঔদ্যোগীকৰণো সম্ভৱ নহয়। ১৯৪৩ চনত বঙ্গদেশৰ খাদ্য সংকট অনুসন্ধান কৰিবলৈ বৃটিছ চৰকাৰে যি তদন্ত কমিটি গঠন কৰি দিছিল, সেই কমিটিৰ বৃটিছ সদস্যসকলেও আনকি এই বুলি অভিমত দিছিল যে খাদ্য ব্যৱসায়ত Laissez-faire বা চৰকাৰী নিয়ন্ত্ৰণৰ অভাৱে বিপৰ্য্যয়ৰ সৃষ্টি নকৰাকৈ নেথাকে। খাদ্য ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ কৰি চৰকাৰে যি নতুন নীতি গ্ৰহণ কৰিছে, তাৰ বিৰুদ্ধে আলোচনা কৰিবলগীয়া এটাই মাত্ৰ কথা আছে। সেইটো হৈছে এই যে এই কাম বহুত আগতেই কৰিব লাগিছিল।

দেশৰ ৰাষ্ট্ৰীয় নীতিৰ লগত সংগতি ৰাখি অসম চৰকাৰেও পহিলা জুনৰ পৰা ধেঁহ আৰু ধেঁহজাত সামগ্ৰীৰ ব্যৱসায় সম্পূৰ্ণৰূপে নিজৰ হাতলৈ নিবলৈ ঠিক কৰিছে। অসম ধেঁহ প্ৰধান ৰাজ্য নহয়। সেইকাৰণেই বহুতে ভাবিব পাৰে যে নীতিগত তাৎপৰ্য্যৰ বাহিৰে অসমত ধেঁহজাত সামগ্ৰীৰ ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণৰ আন একো বিশেষ গুৰুত্ব নাই। অসম চৰকাৰৰ আচল দক্ষতাৰ প্ৰমাণ পোৱা যাব, ধান-চাউলৰ চৰকাৰী ব্যৱসায়ৰ মাজতহে। কিন্তু এনে ধাৰণা সম্পূৰ্ণ সঁচা নহয়। ৰাজ্যখনৰ এক বৃহৎ সংখ্যক অধিবাসীৰ ধেঁহজাত সামগ্ৰী প্ৰধান আহাৰ। থলুৱা লোকসকলেও ক্ৰমবৰ্দ্ধমান হাৰত ধেঁহজাত সামগ্ৰী বিকল্প বা পৰিপূৰক আহাৰ হিচাবে ব্যৱহাৰ কৰিবলৈ শিকিছে। এনে অৱস্থাত ধেঁহজাত সামগ্ৰীৰ চৰকাৰী ব্যৱসায়— বিশেষকৈ বিতৰণ ব্যৱস্থা ব্যৰ্থ হ'বলৈ হ'লে ৰাজ্যৰ অৰ্থনীতিত নানা বিৰূপ প্ৰতিক্ৰিয়াই দেখা দিব আৰু জনসাধাৰণৰ অসন্তুষ্টিও বৃদ্ধি পাব। খাদ্য ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ কৰি চৰকাৰে প্ৰধানকৈ দুটা লক্ষ্যত উপনীত হ'ব খুজিছে। প্ৰথমটো হ'ল গ্ৰাহকক যুক্তি সংগত সুলভ খাদ্য দ্ৰব্যৰ যোগান ধৰা; দ্বিতীয়টো হ'ল খাদ্য-দ্ৰব্যত ভেজাল দিয়া আদি অসৎ কাৰ্য্যবোৰ বন্ধ কৰা। ব্যক্তিগত ব্যৱসায়ীৰ হাতত খাদ্য-ব্যৱসায় থকাৰ প্ৰধান বিপদ এইটোৱেই যে যিহেতু যিমান পৰা যায় বেছি লাভ কৰাটোৱেই তেওঁলোকৰ বাহি উদ্দেশ্য, সেই কাৰণে প্ৰাচুৰ্য্যৰ সময়ত তেওঁলোকে খাদ্য-দ্ৰব্য সুলভ মূল্যত কিনি ৰাখি মজুত কৰি থয়, আৰু নাটনিৰ সময়ত গ্ৰাহকে বলে নোৱাৰা দামত সেই খাদ্য-দ্ৰব্য বিক্ৰী কৰি অত্যধিক লাভ আদায় কৰে। অৰ্থনৈতিক শোষণৰ ই এটা নগ্নতম ৰূপ, আৰু খাদ্যৰ নাটনি চিৰকাল লাগি থকা আমাৰ নিচিনা দেশত এই শোষণে জনসাধাৰণৰ অৰ্থনৈতিক জীৱন চিৰকাল পংগু কৰি ৰাখে। দ্বিতীয়তে ভাৰতীয় খাদ্য-ব্যৱসায়ীসকলৰ দৰে লোভী আৰু দুৰ্নীতিপৰায়ণ ব্যৱসায়ী

পৃথিৱীৰ আন ক'তো বোধহয় নাই। লাভৰ কাৰণে খাদ্য-বস্তুত বিষ মিহলি কৰি মানুহক তিল তিলকৈ হত্যা কৰিবলৈ তেওঁলোক কুণ্ঠিত নহয়। সামান্যতম নীতি-জ্ঞান আৰু সামাজিক দায়িত্ববোধ নথকা এনে এক শ্ৰেণীৰ লোভী ব্যৱসায়ীৰ হাতত খাদ্য-ব্যৱসায় এদনীয়াকৈ এৰি থোৱাটো কোনো পথ্যেই নিৰাপদ নহয়।

এনে অৱস্থাত চৰকাৰে খাদ্য ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণৰ সাৰ্থকতা প্ৰমাণ কৰিবলৈ হ'লে গ্ৰাহকে সুলভ মূল্যত নিৰ্ভেজাল খাদ্য-বস্তু পাব লাগিব। কিন্তু চৰকাৰী ব্যৱসায় সম্পৰ্কে জনসাধাৰণৰ অভিজ্ঞতা সমূলি সন্তোষজনক নহয়। ইমান দিনে সুলভ মূল্যৰ দোকানবোৰৰ যোগেদি চৰকাৰে বিতৰণ কৰি অহা খাদ্য-সামগ্ৰীবোৰৰ মান ইমান তল খাপৰ যে নিতান্ত বাধ্যত নপৰিলে কোনেও সেই খাদ্যবস্তু খাব নোখোজে। আমোলাতন্ত্ৰৰ সততা আৰু কাৰ্য্য দক্ষতাৰ অভাৱেই এনে অৱস্থাৰ কাৰণে প্ৰধানকৈ দায়ী। এতিয়া খাদ্য-সামগ্ৰীৰ ব্যৱসায় সম্পূৰ্ণৰূপে চৰকাৰৰ হাতলৈ যোৱাৰ পিচতো যদি এই অৱস্থা অব্যাহত চলি থাকে, আৰু খাদ্যৰ নামত ৰাইজক গৰু-পশুৰ আহাৰতুল্য অখাদ্য খাবলৈ বাধ্য কৰোৱা হয়, তেতিয়া হ'লে জনসাধাৰণে নিজেই নতুন চৰকাৰী নীতিৰ বিৰুদ্ধে বিদ্ৰোহ কৰি উঠিবলৈ বাধ্য হ'ব। এইক্ষেত্ৰত দ্বিতীয় সমস্যা হ'ল— সুদক্ষ বিক্ৰী পদ্ধতিৰ দ্বাৰা গ্ৰাহকক সন্তুষ্ট কৰিব পৰাৰ ওপৰতেই ব্যক্তিগত ব্যৱসায়ীৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে; কিন্তু চৰকাৰী সেৱা-সমূহত গ্ৰাহকৰ সন্তুষ্টি বিধানৰ চেষ্টা একেবাৰেই দেখা নাযায়। এই আমোলাতান্ত্ৰিক যান্ত্ৰিকতা বা গ্ৰাহকৰ প্ৰতি মানৱীয় বিবেচনাৰ অভাৱেই সকলো প্ৰকাৰৰ চৰকাৰী ব্যৱসায়ৰ প্ৰতি জনসাধাৰণৰ মন বিৰূপ কৰি তোলে। দোকানত নিত্য ব্যৱহাৰ্য্য খাদ্য-বস্তু কিনিবলৈ আহি গ্ৰীষ্ম কালত অগ্নিবৰ্ষী সূৰ্য্যৰ তলত ঘণ্টাৰ পিছত ঘণ্টা ধৰি 'কিউ'ত থিয় হৈ থাকিবলৈ বাধ্য হোৱা গ্ৰাহকৰ পক্ষে চৰকাৰী ব্যৱসায়ৰ প্ৰতি বেছি সময় সমৰ্থন বা সহানুভূতি ৰক্ষা কৰি চলাটো সম্ভৱ নহয়। গতিকে চৰকাৰে খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণৰ নীতি কৃতকাৰ্য্য কৰি তুলিবলৈ হ'লে যি তিনিটা প্ৰধান কথালৈ লক্ষ্য ৰাখিব লাগিব— সেই কেইটা হ'ল- (১) সুলভ আৰু যুক্তিসংগত মূল্যত গ্ৰাহকক বস্তু দিব পাৰিব লাগিব (২) সকলো প্ৰকাৰৰ ভেজাল বন্ধ হৈ খাদ্য সামগ্ৰীৰ মান উন্নত হ'ব লাগিব আৰু (৩) ব্যৱসায়-পৰিচালনাৰ মান উন্নত হ'ব লাগিব। আমি ভাবোঁ যে চৰকাৰৰ এই নতুন নীতিৰ কৃতকাৰ্য্যতাৰ পথত আটাইতকৈ ডাঙৰ বাধা খাদ্য-ব্যৱসায়ৰ ন্যস্ত-স্বাৰ্থ বা প্ৰতিক্ৰিয়াশীল লোকসকল নহয়, আচল বাধা হ'ল চৰকাৰী শাসনযন্ত্ৰৰ সততা আৰু কৰ্ম-ক্ষমতাৰ অভাৱ। গতিকে চৰকাৰে বাহিৰৰ শত্ৰুতকৈ ভিতৰৰ শত্ৰু অৰ্থাৎ নিজৰ শাসন-যন্ত্ৰৰ দোষ-দুৰ্বলতা সম্পৰ্কে অধিক সচেতন হ'ব লাগিব। খাদ্য-ব্যৱসায়ৰ মুকলি বজাৰতকৈ চৰকাৰী পৰিচালনাধীন খাদ্য-ব্যৱসায় জন-স্বাৰ্থৰ অধিক অনুকূল আৰু সুবিধাজনক বুলি প্ৰমাণ কৰি দেখুওৱাটোৱেই হ'ল চৰকাৰৰ এই নতুন নীতি কৃতকাৰ্য্য কৰি তোলাৰ একমাত্ৰ উপায়। যি মুহূৰ্ততে সাধাৰণ ৰাইজে উপলব্ধি কৰিব যে খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণৰ ফলত তেওঁলোকৰ সকলো ফালে সুবিধা হৈছে, সেই মুহূৰ্তৰ পৰাই তেওঁলোকে নিজেই ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ বিৰুদ্ধে যুদ্ধ কৰি চৰকাৰৰ এই নতুন নীতি কাৰ্য্যকৰী কৰি তুলিবলৈ আগবাঢ়ি ওলাই আহিব। অৱশ্যে ৰাইজেও এটা কথা মনত ৰাখিব লাগিব যে শ শ বছৰ ধৰি চলি অহা এটা ব্যৱসায়িক পৰম্পৰাৰ পৰিবৰ্তন ঘটাই তাক নতুন ৰূপ দিবলৈ যাওঁতে প্ৰথম অৱস্থাত নানা ত্ৰুটি-বিচ্যুতিয়ে দেখা দিব পাৰে, আৰু ফলত ৰাইজে সাময়িকভাৱে কিছু অসুবিধাও ভোগ কৰিব লগা হ'ব পাৰে। কিন্তু দীৰ্ঘম্যাদী সুফল বা উপকাৰৰ কথা মনত ৰাখি ৰাইজে সেই সাময়িক দুখ-কষ্টখিনি সহ্য কৰিবলৈ প্ৰস্তুত থাকিব লাগিব। নতুন জীৱন-ৰচনাৰ পথ কোনো ঠাইতে কোনো দিনেই কুসুমাস্তীৰ্ণ নহয়; সেই পথত আগবাঢ়িবলৈ শৃংখলাবোধ আৰু সহ্য-শক্তি অপৰিহাৰ্য্য।

বিধান সভাৰ ভূমিকা

ভাৰতীয় আইন ব্যৱস্থাই দুটা অনুষ্ঠানৰ কাৰণে বিশেষ প্ৰকাৰৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিছে। তাৰে এটা হ'ল ন্যায়ালয় আনটো বিধান সভা তথা সংসদ। এই দুটা অনুষ্ঠানৰ ৰাজহুৱা সমালোচনাৰ পৰিসৰ তেনেই সীমাবদ্ধ। কোনোবাই যদি ন্যায়ালয়ৰ সিদ্ধান্ত বা আচৰণৰ সমালোচনা কৰে, তেন্তে তেওঁ Contempt of Court অৰ্থাৎ ন্যায়ালয়ৰ অৱমাননাৰ অভিযোগত অভিযুক্ত হ'ব লগা হয়। সেইদৰেই সংসদ বা বিধান সভাৰ বিশেষ সমালোচনা কৰোঁতেও তেনে সমালোচনাই এটা বিশেষ গণ্ডী চেৰাই গ'লে বিশেষাধিকাৰ ভংগৰ অভিযোগৰ সন্মুখীন হ'ব লগা হয়। ন্যায়ালয় বা বিধান সভাৰ কাৰণে এনে ধৰণৰ বিশেষ ৰক্ষাণাবেক্ষণৰ প্ৰয়োজনীয়তা হয়তো একেবাৰে নোহোৱা নহয়, কিন্তু সি কেতিয়াও যুক্তি-যুক্ততাৰ সীমা লংঘন কৰা উচিত নহয়। সম্প্ৰতি আমাৰ দেশত ন্যায়ালয় আৰু বিধান সভাৰ ৰাজহুৱা সমালোচনাৰ ক্ষেত্ৰত আইনৰ যিবোৰ বাধা-নিষেধ আছে; সেইবোৰ প্ৰয়োজনতকৈ যথেষ্ট বেছি কঠোৰ আৰু গণতন্ত্ৰৰ সৃষ্টিশীল বিকাশৰ পৰিপন্থী। দেশৰ বুদ্ধিজীৱীসকলে এই সম্পৰ্কে গভীৰভাৱে চিন্তা কৰি এনেবোৰ আইনৰ প্ৰয়োজনীয় সংশোধনীৰ কাৰণে সবল জনমত গঢ়ি তুলিবলৈ চেষ্টা কৰা উচিত। ধৰ্মতকৈ তাৰ আনুসাঙ্গিক নিষ্প্ৰাণ ক্ৰিয়া-কাণ্ড আৰু অন্ধ গোৰামীৰ প্ৰাধান্য যেতিয়া বাঢ়ি যায়, তেতিয়াই ধৰ্মৰ মূল প্ৰাণ-বস্তুৰ বিনাশ ঘটে। ঠিক তেনেদৰেই যান্ত্ৰিক বিচুৰেল বা ক্ৰিয়া-কাণ্ডৰ কবলত পৰি গণতন্ত্ৰও ৰুগ্ন আৰু দুৰ্বল হৈ পৰিব পাৰে। ইয়াৰ একমাত্ৰ প্ৰতিকাৰ হ'ল সমালোচনাৰ মনোভাৱ চিৰ-জাগ্ৰত কৰি ৰখা আৰু কোনো সামাজিক আইন আৰু নীতি-নিয়মকেই চিৰসত্য বুলি গণ্য নকৰি সময়ে সময়ে সেইবোৰক নতুনকৈ পৰীক্ষা কৰি থকা।

অত্যধিক স্পৰ্শকাতৰতা সবলতাৰ পৰিচায়ক নহয়; ই দুৰ্বলতাৰ লক্ষণ। আমাৰ দেশৰ বিধান সভাবোৰে প্ৰায়েই মাত্ৰাধিক স্পৰ্শকাতৰতাৰ পৰিচয় দিয়ে। বিশেষাধিকাৰৰ দোহাই দি বিধান সভাই যদি যুক্তি সংগত আৰু সৎ উদ্দেশ্যপ্ৰণোদিত সমালোচনাবো কণ্ঠৰোধ কৰিবলৈ চেষ্টা কৰে, তেন্তে তাৰ পৰিণাম বিধান সভাৰ কাৰণেই ক্ষতিকৰ হ'ব। পৃথিৱীত এনে কোনো ব্যক্তি বা অনুষ্ঠান নিশ্চয় থাকিব নোৱাৰে, যি নিজকে সকলো প্ৰকাৰৰ আলোচনাৰ উৰ্দ্ধত স্থাপন কৰিব পাৰে। সেইটো কৰিবলৈ গ'লে সোনকালে পোহৰ-বতাহ সোমাব নোৱাৰা বন্ধ কোঠালিৰ দৰে তেনে অনুষ্ঠানৰ পৰিৱেশো বিষাক্ত আৰু অস্বাস্থ্যকৰ হৈ পৰিবলৈ বাধ্য।

আমাৰ দেশৰ বিধান সভাবোৰে ৰাইজৰ সকলো প্ৰত্যাশা পূৰ্ণ কৰিব পাৰিছে বুলি ক'ব নোৱাৰি। বিধান সভাৰ সদস্যসকলৰ দায়িত্ব অপৰিসীম। তেওঁলোকে নিজৰ দায়িত্ব এনেভাৱে পালন কৰে তাৰ ওপৰত জনসাধাৰণৰ সুখ-দুখ বহু পৰিমাণে নিৰ্ভৰ কৰে। এই দায়িত্ব পালনৰ কাৰণে প্ৰতিভাৰ নিশ্চয় দৰ্কাৰ, কিন্তু কেৱল প্ৰতিভাই যথেষ্ট নহয়। প্ৰতিভাৰ লগত শ্ৰম-শক্তি, বিবেকবোধ, আদৰ্শবাদিতাৰ মিলন হ'লেহে বিধান সভাৰ সদস্যসকলে নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ সক্ষম হ'ব পাৰে। আমাৰ বিধান সভাবোৰৰ বিষয়ে ৰাইজৰ সাধাৰণ মনোভাৱ এই যে ইয়াত হোৱা তৰ্ক আৰু সমালোচনাবোৰে যিমান উত্তাপৰ সৃষ্টি কৰে, সেই অনুপাতে সি পোহৰ নিদিয়ে। ইয়াৰ কাৰণ বিচাৰি বেছি দূৰলৈ যাব নালাগে।

বিধানসাভৰ আলোচনাত মৌলিক চিন্তাশক্তিৰ পৰিচয় দিবলৈ যথেষ্ট অধ্যয়ন, পৰিশ্ৰম আৰু প্ৰতিভাৰ প্ৰয়োজন, খুব কম লোকেইহে এইখিনি কৰিবলৈ আগবাঢ়ি আহে। আনহাতে মানুহৰ দৃষ্টি বা শ্ৰুতি আকৰ্ষণ কৰিবলৈ 'গৰম বক্তৃতা' দিব পৰাৰ ক্ষমতাই যথেষ্ট। সেইটো কৰিব পৰা লোকৰ অভাব নাই। ফলত সযত্ন তথ্য-উপস্থাপন বা যুক্তিপূৰ্ণ আলোচনাতকৈ ডেমাগগিৰ প্ৰাধান্য বাঢ়ি যায়।

বিধানসভাবোৰৰ বিষয়ে ৰাইজৰ দ্বিতীয় প্ৰধান আপত্তি এই যে ইয়াৰ বহুতো সদস্যই বিধানসভাৰ তৰ্ক বা আলোচনাত অংশ গ্ৰহণ কৰি এটা মাত্ৰ ৰিচুৱেল পালন কৰে অৰ্থাৎ ৰাইজৰ প্ৰতিনিধি হিচাবে বিধানসভালৈ আহিছে যেতিয়া কিবা এযাৰ নক'লেই বিহেতু নহয়, সেই কাৰণে নিতান্ত যান্ত্ৰিকভাৱে দু-আষাৰ কৈ নিজৰ নিম্নতম কৰ্তব্যখিনি পালন কৰে। কোনোবাই যদি একাদিক্ৰমে কেইবা বছৰৰ বিধানসভাৰ কাৰ্য্য-বিবৰণী বিশ্লেষণ কৰি চায়, তেতিয়া হ'লে হয়তো দেখা যাব যে বহুতো সদস্যই একেটা বক্তৃতাকে সামান্যৰকম হেৰফেৰ কৰি বছৰৰ পিছত বছৰ ধৰি গ্ৰামোফোনৰ ৰেকৰ্ডৰ দৰে বজাই থাকে। এনেবোৰ সদস্যৰ বক্তৃতাৰ মাজত তথ্যানুসন্ধানৰ কোনো প্ৰণালীবদ্ধ চেষ্টা চিন্তাৰ গতিশীলতা বা প্ৰকৃত কৰ্তব্যবোধৰ তাড়না দেখা নাযায়। ফলত একেবোৰ কথাৰ অন্তহীন পুনৰুক্তি কৰি কৰিয়েই তেওঁলোকে নিজৰ কৰ্তব্যৰ সামৰণি মাৰে। বোধহয় এনেধৰণৰ সদস্যৰ কথা মনত ৰাখিয়েই এডমাণ্ড বাৰ্কে ভোটদাতাসকলক উদ্দেশ্য কৰি কৈছিল— Your representative owes you, not his industry only, but his judgement, and he betrays instead of serving you if he sacrifices it to your opinion.

বিধানসভাই আইন প্ৰণয়ন কৰে, ৰাজ্য পৰিচালনাৰ মৌলিক নীতিসমূহ নিৰ্ধাৰণ কৰি দিয়ে, আৰু চৰকাৰী কাম-কাজৰ পৰ্য্যালোচনা কৰে। গুণাৰ মীৰ্ডালে দক্ষিণ এচিয়াৰ ৰাষ্ট্ৰসমূহক Soft State বুলি অভিহিত কৰিছে। তেওঁৰ মতে এই Soft State ৰ প্ৰধান লক্ষণ হ'ল এয়েই যে যিবোৰ আইন কাৰ্য্যকৰী কৰিবলৈ কঠোৰ সামাজিক শৃংখলাৰ প্ৰয়োজন— তেনেবোৰ আইন প্ৰণয়ন কৰাৰ পৰা এই ৰাষ্ট্ৰসমূহ বিৰত থাকে; দ্বিতীয়তে যিবোৰ আইন প্ৰণয়ন কৰা হয়, সেইবোৰো কাৰ্য্যকৰী কৰিবলৈ কোনো আগ্ৰহ বা চেষ্টা দেখুওৱা নহয়। বিধানসভাই বছৰৰ পিচত বছৰ ধৰি নানা আইন প্ৰণয়ন কৰি গৈ থাকে, কিন্তু সেই আইনবোৰ প্ৰকৃত অৰ্থত কাৰ্য্যকৰী হ'লনে নাই তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ কাৰো বিশেষ আগ্ৰহ বা চেষ্টা দেখা নাযায়। যেন আইন প্ৰণয়ন কৰাতেই বিধান সভাৰ সকলো কৰ্তব্যৰ ওৰ পৰে। উদাহৰণ স্বৰূপে বহু বছৰ ধৰি অসমত মাদক-দ্ৰব্য নিবাৰণী আইন এখন চলি আছে। এই কথা কোনেও নজনা নহয় যে এই আইন এক চূড়ান্ত সামাজিক ভণ্ডামী বা নিৰ্মম প্ৰহসনৰ বাহিৰে আন একো নহয়। যিসকল লোকে এই আইন প্ৰণয়ন কৰিছে— তেওঁলোকৰ মাজতেই প্ৰকাশ্যে এই আইন ভঙ্গ কৰা লোকৰ সংখ্যা বৰ কম নহয়। অথচ এই আইন বলপূৰ্বক কাৰ্য্যকৰী কৰাবলৈ বা সেইটো অসম্ভৱ হ'লে আইনখন উঠাই ল'বলৈ বা সংশোধন কৰিবলৈ বিধান সভাৰ কোনো উদ্যম এতিয়ালৈকে আমি দেখা পোৱা নাই। যোৱা ২৫ বছৰ ধৰি ভূমি সংস্কাৰ সম্পৰ্কীয় সকলো আইন এক বিৰাট সামাজিক প্ৰতাৰণাত পৰিণত হৈছে। অসমৰ নতুন প্ৰগতিশীল চৰকাৰে ১৯৭২ চনত গ্ৰহণ কৰা সৰ্বশেষ সংশোধিত আইনখনো তাৰ ব্যতিক্ৰম হোৱাৰ কোনো লক্ষণ পৰিলক্ষিত হোৱা নাই। কিন্তু চৰকাৰৰ এইবোৰ ব্যৰ্থতাৰ বিৰুদ্ধে বিধানসভা যিমান সৰব আৰু সচেতন হোৱা উচিত, কোনোদিনেই সিমানখিনি হোৱাটো ৰাইজৰ চকুত পৰা নাই। এনেকুৱা বহুতো আইনৰ এখন দীঘলীয়া তালিকা কৰিব পাৰি— যিবোৰ আইনৰ অস্তিত্ব তুলাপাতৰ বাহিৰে আন ক'তো নাই। নিজে প্ৰণয়ন কৰা আইন কাৰ্য্যকৰী কৰিবলৈ দক্ষতা বা ইচ্ছা-শক্তিৰ অভাৱ আমাৰ বিধান সভাবোৰৰ এটা প্ৰধান

ব্যৰ্থতা। সেই কাৰণে এতিয়া বিধান সভাই কিবা নতুন আইন প্ৰণয়ন কৰিব বুলি আগতীয়া বাতৰি প্ৰচাৰ হ'লেও সি ৰাইজৰ মনত উৎসাহৰ সৃষ্টি কৰাৰ পৰিবৰ্তে চিনিকেল উদাসীনতা বা বিদ্ৰূপৰ মনোভাবহে সৃষ্টি কৰে। এনে এক মানসিক বাতাবৰণ সমাজৰ প্ৰগতি বা গণতন্ত্ৰৰ বিকাশ কোনো এটাৰ পক্ষেই সহায়ক নহয়।

বিধানসভাৰ সদস্যসকলৰ কাম-কাজ ফলদায়ক হ'বলৈ হ'লে তেওঁলোকৰ আন একো নহ'লেও দুটা গুণ প্ৰধানকৈ থকা উচিত। এটা হৈছে তেওঁলোকৰ চিন্তা আৰু কাম-কাজৰ এটা সু-পৰিকল্পিত ধাৰাবাহিকতা, আনটো হ'ল Informaed Criticism কৰিব পৰাৰ ক্ষমতা। প্ৰথমটোৰ অবিহনে তেওঁলোকে কোনো এটা নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি প্ৰণালীবদ্ধভাৱে কাম কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে— এজন সদস্যই এবছৰৰ আগতে বিধান সভাত কি দাবী উত্থাপন কৰিছিল বা চৰকাৰৰ পৰা কি প্ৰতিশ্ৰুতি আদায় কৰিছিল, সেই কথা যদি এবছৰৰ পিচত তেওঁ পাহৰি যায়, তেন্তে নিজৰ অভীষ্ট সিদ্ধ নোহোৱালৈকে তেওঁ সেই কথাত লাগি থাকিব নোৱাৰে বা চৰকাৰকো নিজৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ বাধ্য কৰিব নোৱাৰে। অপ্ৰিয় হ'লেও এই কথা সঁচা যে বিধানসভাৰ বেছিভাগ সদস্যই চৰকাৰৰ পৰা কোনো এটা কাম আদায় কৰিবলৈ প্ৰণালীবদ্ধভাৱে চেষ্টা নকৰি সাময়িক তাড়না বা উত্তেজনাত বিক্ষিপ্তভাৱে বেছিভাগ কাম কৰাৰ কাৰণেই বিধান সভাৰ বেছিভাগ আলোচনা নিষ্ফল বাক্য-ব্যয়ত পৰিণত হয়। বিধান সভাৰ বেছিভাগ সদস্যৰ দ্বিতীয় ডাঙৰ ব্যৰ্থতা হ'ল তেওঁলোকৰ Informaed Criticism কৰিব পৰা ক্ষমতাৰ অভাৱ— অৰ্থাৎ তেওঁলোকে যিটো বিষয়ে সমালোচনা কৰিব খোজে, সেই বিষয়টো সম্পৰ্কে বিশদ জ্ঞানৰ অভাৱ। কোনো এটা বিষয়ে খৰচি মাৰি নজনাকৈ সেই বিষয়ৰ ওপৰত হোৱা আলোচনাত ভাগ ল'বলৈ গ'লে তেনে আলোচনা ঢোৰা সাপৰ ফোচফোচনিৰ বাহিৰে আন একো নহয়, আৰু তেনে অসাৰ সমালোচনাই চৰকাৰ বা প্ৰশাসন যন্ত্ৰৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে। এটা কাৰণ প্ৰয়েই লক্ষ্য কৰা যায় যে বেছিভাগ সদস্যই দুটা প্ৰশ্ন উত্থাপন কৰাৰ পিচত সেই বিষয়ে বেছি পৰিপূৰক প্ৰশ্ন কৰিব নোৱাৰে। ফলত চৰকাৰে নানা অপকৰ্ম কৰি সদায় নিৰাপদবোধ কৰে। পৰিপূৰক প্ৰশ্ন সুধি সুধি চৰকাৰৰ পৰা সম্পূৰ্ণ উত্তৰ আদায় কৰাৰ অক্ষমতাই এই কথাকে প্ৰমাণ কৰে যে বেছি ভাগ সদস্যই নিজৰ হোমৱৰ্ক আন্তৰিকতাৰে পালন কৰিবলৈ চেষ্টা নকৰে।

আমাৰ বিধানসভাবোৰ প্ৰগতিশীলতা আৰু পৰিবৰ্তনৰ উপযুক্ত হাতিয়াৰত পৰিণত হ'লে, বিধানসভাৰ আলোচনা আৰু কৰ্মদক্ষতাৰ মানো এতিয়াতকৈ বহুগুণে বেছি উত্তম হ'ব বুলি ধাৰণা কৰিব পাৰি।

সাপ্তাহিক নীলাচল, ২৩৭ সংখ্যা : ২৭ জুন, ১৯৭৩

দৰ্মহাৰ কথা

মুদ্ৰা-স্ফীতিৰ ফলত নিত্য-ব্যৱহাৰ্য্য বয়-বস্তুৰ মূল্য ক্ৰমান্বয়ে উৰ্ধ্বমুখী হৈ বৃদ্ধি পাব ধৰিছে, আৰু ফলত সকলো শ্ৰেণীৰ কৰ্মীৰ বেতন বা পাৰিশ্ৰমিক সময়ে সময়ে বৃদ্ধি কৰিব লগা হৈছে। কিন্তু বেতন বৃদ্ধিৰ দ্বাৰা মুদ্ৰা-স্ফীতিয়ে সৃষ্টি কৰা নানাবিধ জটিল অৰ্থনৈতিক সমস্যাৰ কেতিয়াও স্থায়ী সমাধান কৰিব নোৱাৰি। ই নতুনকৈ মুদ্ৰা-স্ফীতিতহে সহায় কৰে আৰু মুদ্ৰা-স্ফীতি আৰু মূল্য-বৃদ্ধিৰ ক্ৰমানুসৰি এক জটিল দুষ্ট-চক্ৰৰ সৃষ্টি কৰে। সেই কাৰণে উৎপাদন বৃদ্ধি কৰি মূল্য-মান সুস্থিৰ ৰাখি মুদ্ৰা-স্ফীতি ৰোধ কৰাটোৱেই হ'ল এই সমস্যাৰ একমাত্ৰ স্থায়ী সমাধান। কিন্তু তাকে কৰিব নোৱাৰা পৰ্য্যন্ত পাৰ্য্যমানে বেতন বৃদ্ধি কৰি কৰ্মীসকলক অৰ্থনৈতিক সংকটৰ পৰা সাময়িকভাৱে উপশম দিয়াৰ বাহিৰে আন কোনো গত্যন্তৰ নাই।

কিছুদিনৰ আগতে তলৰ পৰা ওপৰলৈ ৰাজ্যিক আৰু কেন্দ্ৰীয় কৰ্মচাৰীসকলৰ বেতনৰ নিৰিখ নতুনকৈ ধাৰ্য্য কৰা হৈছে। নতুন বেতন বৃদ্ধিয়ে বিশেষকৈ তলৰ শ্ৰেণীৰ কৰ্মচাৰীসকলক মুঠেই সন্তুষ্ট কৰিব পৰা নাই। তেওঁলোকৰ মাজত প্ৰতিবাদৰ ধুমুহা উঠিছে। এটা ঠিক যে প্ৰতি মাহে বয়-বস্তুৰ মূল্য যি গতিত উৰ্ধ্বমুখী হ'ব ধৰিছে, তেনে অৱস্থাত বেতনৰ বৃদ্ধি ফুটা কলহত পানী ঢলাৰ নিচিনা হৈছে। কিন্তু নিম্ন-বেতনভোগী কৰ্মচাৰীসকলৰ আপত্তি বা অসন্তোষৰ সেইটোৱেই একমাত্ৰ কাৰণ নহয়। তেওঁলোকৰ আপত্তিৰ মূল কাৰণ হ'ল এটা নীতিগত প্ৰশ্ন।

অৰ্থনৈতিক প্ৰয়োজন পূৰণ কৰাটোৱেই হ'ল দৰ্মহা নিৰূপণৰ প্ৰাথমিক লক্ষ্য। প্ৰত্যেক কৰ্মীৰেই নিম্নতম পাৰিশ্ৰমিকখিনি এনেভাৱে ধাৰ্য্য কৰিব লাগিব— যাৰ দ্বাৰা তেওঁ নিজৰ আৰু পোষ্যসকলৰ জীৱন-ধাৰণৰ সৰ্বনিম্ন প্ৰয়োজনখিনি পূৰণ কৰিব পাৰে। ৰাষ্ট্ৰৰ বা সমাজৰ ই এটা প্ৰাথমিক দায়িত্ব। কিন্তু আমাৰ দৰে সমাজত বেতন কেৱল অৰ্থনৈতিক প্ৰয়োজন পূৰণৰ উপায় মাত্ৰ নহয়, ই এটা 'ষ্টেটাচ চিম্বল' বা সামাজিক মৰ্য্যাদাৰো মাপকাঠি। কেৱল সেয়েই নহয়, অৰ্থোপাৰ্জনৰ পৰিমাণ এজন মানুহৰ ব্যক্তিগত কৃতকাৰ্য্যতা আৰু সামাজিক উন্নতিৰ পৰিচায়ক। সেই কাৰণেই পাৰিশ্ৰমিকৰ প্ৰয়োজনাতিৰিক্ত বৈষম্যৰ দ্বাৰা সমাজত বিভিন্ন কৰ্মীৰ সামাজিক শ্ৰেণী বিভাজন কৰাৰ চেষ্টা কৰা হয়। অলপতে বেতন-বৃদ্ধিৰ যি নতুন নিৰিখ ধাৰ্য্য কৰা হৈছে, তাৰ পৰা দেখা গৈছে যে মাহে দুহাজাৰ টকাতকৈ বেছি দৰ্মহা পোৱা লোকৰ হয়তো মাহে এশৰ পৰা আৰম্ভ কৰি তিনি-চাৰিশ টকাতকৈ বেছি দৰ্মহা বৃদ্ধি হৈছে; আনহাতে মাহে দুশ টকা দৰ্মহা পোৱা কৰ্মীৰ দৰ্মহা বাঢ়িছে মাত্ৰ দহ-বিশ টকা। যি মানুহে ইতিমধ্যেই মাহে দুহাজাৰ টকাকৈ দৰ্মহা ভোগ কৰিছে, নতুনকৈ দৰ্মহা নাবাঢ়িলেও জীৱনধাৰণ তেওঁৰ কাৰণে অসম্ভৱ হৈ নপৰে। আনহাতে যি অৱস্থাত বছৰটোৰ ভিতৰতে নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্য শতকৰা ১৪ ভাগৰ পৰা ৫০ ভাগলৈ বৃদ্ধি পাইছে, তেনে অৱস্থাত মাহে ডেৰশ বা দুশ টকা দৰ্মহা পাই কোনো মতে আধাপেটীয়াকৈ খাই থকা এজন কৰ্মীৰ দৰ্মহা দহ টকা বা বিশ টকা বৃদ্ধি পালেও তেওঁ অবৰ্ণনীয় দাৰিদ্ৰ্য আৰু অৰ্থনৈতিক সংকটৰ বিশেষ একো হীন-ডেঢ়ি নহয়। এনে অৱস্থাত নতুনকৈ বেতন বৃদ্ধিৰ মূলতে কেৱল অৰ্থনৈতিক প্ৰয়োজন পূৰণৰ মূল নীতিয়েই কাম কৰিছে বুলি ক'ব নোৱাৰি। ইয়াৰ মূলতেই কাম কৰিছে এক বিশেষ মূল্য-বোধে, অৰ্থাৎ প্ৰচলিত

সামাজিক স্তৰভেদ বা স্তৰ বিন্যাস অক্ষুণ্ণ ৰখাৰ প্ৰবৃত্তিয়ে। অৱশ্যে এই প্ৰশ্নটো সম্পূৰ্ণ আওকাণ কৰি থাকিব পাৰিনে নোৱাৰি সেই সম্পৰ্কে আলোচনাৰ অৱকাশ আছে। আৰ্নল্ড টয়নবীয়ে এই প্ৰশ্নটো উত্থাপন কৰি এঠাইত কৈছে— এজন গণিতজ্ঞ আৰু এজন বিদ্যুৎ-কৰ্মীৰ পাৰিশ্ৰমিক নিৰূপণত কি নীতি অনুসৰণ কৰা হ'ব? এজন বিদ্যুৎ-কৰ্মীয়ে যদি ধৰ্মঘট কৰে, তেন্তে সমাজখন মুহূৰ্ততে পোহৰ আৰু তাপৰ নিচিনা নিত্য প্ৰয়োজনীয় বস্তুৰ যোগানৰ পৰা বঞ্চিত হ'ব, আৰু সমাজৰ দৈনন্দিন জীৱন-যাত্ৰাত অচলাৱস্থাৰ সৃষ্টি হ'ব। কিন্তু আনহাতে এজন গণিতজ্ঞই কাম কৰাৰ পৰা বিৰত থাকিলে সমাজে হয়তো কোনো পৰিবৰ্তনেই অনুভৱ নকৰিব। অৰ্থাৎ সামাজিক প্ৰয়োজনৰ বিচাৰত বিদ্যুৎ-কৰ্মীয়ে আগবঢ়োৱা সেৱা যিমান মূল্যবান, এজন গণিতজ্ঞৰ পৰিশ্ৰমত সমানেই মূল্য-হীন। তেন্তে বিদ্যুৎ-কৰ্মীৰ দৰ্মহা গণিতজ্ঞতকৈ বহুগুণে বেছি হোৱা উচিতনে? কেতিয়াও নহয়। টয়নবীয়ে দেখুৱাইছে— আমি যদি শতাব্দীৰ পটভূমিত এই প্ৰশ্নটোত বিচাৰ কৰি চাওঁ, তেন্তে আমাৰ মূল্যায়ন সম্পূৰ্ণ সলনি হৈ যাব। লাইবনিৎসে কৰা যুগ্মক গণিতৰ (Binary arithmetic) আৱিষ্কাৰৰ তেওঁৰ সম-সাময়িক কালৰ মানুহৰ ওচৰত কোনো মূল্য নাছিল; কিন্তু তিনি শতাব্দীৰ পিচত এই যুগ্মক গণিতেই কমপিউটাৰৰ আৱিষ্কাৰ সম্ভৱ কৰি মানৱ-সভ্যতাত যুগান্তৰ আনিবলৈ সমৰ্থ হ'ল। গতিকে পৰিশ্ৰমিক নিৰূপণৰ ক্ষেত্ৰত পৰিশ্ৰমবস্থূল পৰিমাপ বা তাৎকালিক মূল্যটোৱেই একমাত্ৰ বিবেচ্য বিষয় হ'ব নোৱাৰে। সমাজৰ কাৰণে কেতবোৰ অতি প্ৰয়োজনীয় বস্তু— এটা সুন্দৰ গান, এখন শ্ৰেষ্ঠ ছবি, এটা মৌলিক বৈজ্ঞানিক আৱিষ্কাৰ বা আইনৰ এটা সিদ্ধান্ত এই সকলোবোৰেই মানুহৰ সৃষ্টিশীল অৱসৰ-সাধনাৰ ফচল আৰু এইবোৰ কামত নিয়োজিত থকা লোকসকলক অনুকূল শাৰীৰিক আৰু [illegible] পৰিৱেশ সৃষ্টি কৰি ল'বৰ কাৰণে উপযুক্ত বেতন দিবই লাগিব। এই ফালৰ পৰা চাবলৈ গ'লে এজন ৰাজমিস্ত্ৰী আৰু ইঞ্জিনীয়াৰ বা এজন কেৰাণী বা সচিবৰ মাজত বেতনৰ কিছু পাৰ্থক্য থাকিবই। কিন্তু [illegible] তাৰ এটা যুক্তিসম্মত সীমা থাকিব লাগিব।

আমাৰ দেশত বেতনৰ পাৰ্থক্যই সকলো যুক্তিৰ সীমা লংঘন কৰিছে। আদৰ্শ নীতি এইটোৱেই হোৱা উচিত— যাৰ ফলত সৰ্বাধিক প্ৰয়োজনৰ ওপৰত আৰু সৰ্বনিম্ন প্ৰয়োজনৰ তলত কোনো মানুহেই পাৰিশ্ৰমিক পোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। দ্বিতীয়তে, দৰ্মহা সংস্কাৰৰ এটা অন্যতম প্ৰধান লক্ষ্য হোৱা উচিত ক্ৰমে ক্ৰমে অৰ্থনৈতিক বৈষম্য হ্ৰাস কৰা। সেইটো কৰিবলৈ হ'লে বেতনৰ নিৰিখ প্ৰতিবাৰেই নতুনকৈ ধাৰ্য্য কৰোঁতে সৰ্বোচ্চ দৰ্মহাৰ নিৰিখ একে ৰাখি নিম্নতম বেতন অৰ্থনৈতিক প্ৰয়োজনৰ মাপ-কাঠিৰে বিচাৰ কৰি ক্ৰমে ক্ৰমে বঢ়াই যাব লাগিব, আৰু উচ্চতম আৰু নিম্নতম দৰ্মহাৰ মাজত সামাজিক ন্যায় বিচাৰৰ দ্বাৰা সমৰ্থিত এটা আনুপাতিক ভাৰসাম্য ৰক্ষা কৰিবলৈ চেষ্টা কৰিব লাগিব। কিন্তু দুখৰ বিষয় যে আমাৰ দেশত সেই আদৰ্শমতে কাম কৰা হোৱা নাই। উচ্চতম দৰ্মহা পোৱা বিষয়াসকলৰ দৰ্মহা বাঢ়িছে এশৰ পৰা চাৰি-পাঁচশ টকাকৈ; নিম্নতম দৰ্মহা পোৱা সকলৰ বাঢ়িছে মাত্ৰ দহ-বিশ টকা। ফলত অৰ্থনৈতিক বৈষম্য হ্ৰাস পোৱাৰ পৰিবৰ্তে বৃদ্ধি পাইছে। দ্বিতীয়তে, এই ক্ষেত্ৰত যি সংৰক্ষণশীল দৃষ্টিভঙ্গীয়ে কাম কৰিছে— তাৰ উদ্দেশ্য হ'ল উচ্চ বেতনভোগী বিষয়াৰ জীৱন যাপনৰ ষ্টাইল বা উচ্চ মান আৰু নিম্ন বেতনভোগী কৰ্মচাৰীৰ আধা পেটী দৰিদ্ৰ অৱস্থাৰ কোনো পৰিবৰ্তন হ'বলৈ নিদি একেটা পৰ্য্যায়তে ৰাখি দিয়া। বস্তুৰ মূল্য বৃদ্ধি বা টকাৰ মূল্য-হ্ৰাসৰ ফলত উচ্চ-পদস্থ বিষয়াই হয়তো সপ্তাহত আগৰ এবটল স্কচ্ হুইস্কীৰ ঠাইত এতিয়া আধা বটল খাবলৈ বাধ্য হৈছিল; আনহাতে দৰিদ্ৰ পিয়ন এজনৰ পক্ষে মাহত এবাৰ মাছ খোৱাৰ ঠাইত এতিয়া ছমাহৰ মূৰত এবাৰ মাছ খোৱাও অসম্ভৱ হৈ পৰিছিল। কিন্তু দৰ্মহা বৃদ্ধি কৰোঁতে উচ্চ-পদস্থ

বিষয়াৰ ক্ষেত্ৰত চৰকাৰৰ বিবেচ্য বিষয় হ'ল তেওঁৰ হুইস্কীৰ বটল, তেওঁৰ নানাবিধ বিলাস আৰু আৰামৰ উপকৰণ, তেওঁৰ জীৱন-যাপনৰ উচ্চ মান; আনহাতে দৰিদ্ৰ পিয়ন বা কেৰাণী এজনৰ ক্ষেত্ৰত বিবেচ্য বিষয় হ'ল আগৰ আঢ়ৈশ গ্ৰামৰ ঠাইত এতিয়া দুশ পঁয়সত্তৰ গ্ৰাম চাউল কিনাৰ ক্ষমতা। দৰ্মহা-নিৰূপণৰ এই নীতিৰ লগত সমাজবাদী আদৰ্শৰ কোনো সম্পৰ্ক নাই; ই সম্পূৰ্ণৰূপে নীতি-বিবৰ্জিত, অমানবীয় আৰু প্ৰতিক্ৰিয়াশীল। নিম্ন-বেতনভোগী কৰ্মচাৰীসকলে ইয়াৰ বিৰুদ্ধে যদি আন্দোলন কৰে, তেন্তে সেই আন্দোলনে ন্যায়-বিচাৰ-কামী সকলো মানুহৰ সমৰ্থন পোৱা উচিত। কিন্তু এই আন্দোলন প্ৰকৃত অৰ্থত কৃতকাৰ্য্য হ'বলৈ হ'লে সি সমাজৰ দৰিদ্ৰ আৰু সৰ্বহাৰা শ্ৰেণীৰ বৃহত্তৰ সংগ্ৰামৰ লগত সংযুক্ত হ'ব লাগিব; তেতিয়াহে সি সকলো শোষিত লোকৰ নৈতিক সমৰ্থন আদায় কৰিবলৈ সক্ষম হ'ব। সমাজৰ অ-সংগঠিত শ্ৰেণীৰ লোকসকল পেটে-ভাতে খাই থকা দৰিদ্ৰ খেতিয়ক, মাটিহীন খেতিয়ক, কৃষি বনুৱা, দিন-মজুৰ, অৰ্দ্ধবনুৱা আৰু নিবনুৱা এনেকুৱা লাখ লাখ, কোটি কোটি মানুহ আজি মুদ্ৰাস্ফীতিজনিত দাৰুণ অৰ্থনৈতিক সংকটৰ অসহায় বলি হ'ব লগা হৈছে। এইসকল লোকৰ অৱস্থা আটাইতকৈ বেছি দুখ লগা, কাৰণ যিহেতু তেওঁলোক অ-সংগঠিত, সেই কাৰণে নিজৰ দুখ-বেদনা ব্যক্ত কৰিবলৈ বা দাবী পূৰণৰ কাৰণে আন্দোলন কৰিবলৈ তেওঁলোক অপাৰগ। নিজৰ অভাৱ মোচনৰ কাৰণে সংগঠিত উপায়েৰে আন্দোলন কৰিবলৈ যিসকল লোকৰ সুবিধা আৰু ক্ষমতা আছে, তেওঁলোকে এই দুৰ্ভগীয়া লোকসকলৰ কথাও সততে মনত ৰাখি নিজৰ লক্ষ্য স্থিৰ কৰা উচিত।

সাপ্তাহিক নীলাচল, ২৩৮ সংখ্যা : ৪ জুলাই, ১৯৭৩ চন

সমাজবাদৰ নামত ভণ্ডামী

আচাৰ্য্য বিনোবা ভাবে আৰু পণ্ডিত সুন্দৰলালৰ নিচিনা নিষ্ঠাবান গান্ধীবাদীয়েও এসময়ত মন্তব্য কৰিছিল কেৱল মাও ছে-টুঙৰ চীন দেশতহে গান্ধীবাদী জীৱনধাৰাক প্ৰকৃত অৰ্থত অনুসৰণ কৰা হৈছে। চীনৰ নতুন নেতাসকলো বিলাস-বাহুল্য বৰ্জন কৰি সাধাৰণ মানুহৰ দৰে যি সহজ-সৰল জীৱন যাপন কৰে— তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই তেওঁলোকে এনে মন্তব্য কৰিছিল। মাও ছে-টুঙৰ ৰাজনৈতিক দৰ্শন যিসকল লোকে সমৰ্থন নকৰে, তেওঁলোকেও চীনৰ এই সৰ্বময়কৰ্তাজনৰ অনাড়ম্বৰ জীৱনযাত্ৰা দেখি মুগ্ধ নোহোৱাকৈ নাথাকে। যোৱা দুবছৰৰ ভিতৰত যিসকল আমেৰিকান সাংবাদিক চীন দেশ ভ্ৰমণ কৰিবলৈ গৈছে, তেওঁলোকেও ঘূৰি আহি স্বীকাৰ কৰিছে যে সেই দেশত কল-কাৰখানাৰ মেনেজাৰ আৰু শ্ৰমিকসকলৰ জীৱনযাত্ৰাৰ মাজত বিশেষ পাৰ্থক্য একো নাই। সমাজবাদৰ আদৰ্শ সেই দেশত জীৱনযাত্ৰাৰ এটা নৈতিক আচৰণ-বিধিত পৰিণত হৈছে; আন বহুতো দেশৰ দৰে সি কেৱল ভাতৌ চৰাইৰ মুখস্থ মন্ত্ৰ হৈ থকা নাই।

ভাৰতৰ কমিউনিষ্ট নেতা শ্ৰীঅচ্যুত মেননে তেওঁৰ 'On need of austerity in revolution' নামৰ প্ৰবন্ধত লিখিছে— "ভাৰতীয় জাতীয় সংগ্ৰাম আৰু ৰাজহুৱা জীৱনলৈ গান্ধীজীৰ এটা প্ৰধান অৱদান হ'ল তেওঁৰ অনাৰম্বৰ জীৱন যাপনৰ আদৰ্শ। স্বাধীনতা সংগ্ৰামৰ সময়ত কংগ্ৰেছৰ নেতাসকলে যি অনাড়ম্বৰ আৰু সহজ-সৰল জীৱন যাপন কৰিছিল, সেয়ে আছিল কংগ্ৰেছৰ বিপুল জনপ্ৰিয়তাৰ এটা প্ৰধান কাৰণ। কিন্তু এতিয়া কংগ্ৰেছীসকলে সৰল জীৱন যাপনৰ গান্ধীবাদী আদৰ্শ সম্পূৰ্ণৰূপে পৰিহাৰ কৰিছে।

গান্ধীজীয়ে তেওঁৰ জীৱন কালত ঘোষণা কৰিছিল যে স্বাধীন ভাৰতৰ এজন মন্ত্ৰীৰ সৰ্বোচ্চ দৰ্মহা পাঁচ শ টকাতকৈ বেছি হ'ব নোৱাৰিব। সমসাময়িক কালৰ আন সকলো ভাৰতীয় নেতাতকৈ গান্ধীজীয়ে এটা কথা বেছি ভালকৈয়ে বুজি পাইছিল যে ত্যাগৰ আদৰ্শ আৰু অনাড়ম্বৰ জীৱন যাত্ৰাৰ প্ৰতি ভাৰতীয়সকলৰ এটা সহজাত শ্ৰদ্ধাৰ মনোভাৱ আছে। বিলাস-বৈভৱ ত্যাগ কৰি জনসাধাৰণৰ লগত একাত্মতা স্থাপন কৰিব নোৱাৰা কোনো নেতাই ভাৰতীয় জনমানসৰ ওচৰত স্থায়ী প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। তেওঁৰ কৌপিন বসন কেৱল তেওঁৰ ব্যক্তিগত ধৰ্মাচাৰ বা কৃচ্ছ্ৰসাধনাৰে প্ৰতীক নাছিল; সি আছিল ভাৰতীয় মানসিকতা সম্পৰ্কে তেওঁৰ গভীৰ অন্তৰ্দৃষ্টিৰ পৰিচায়ক এক অমোঘ ৰাজনৈতিক অস্ত্ৰ। আমাৰ জাতীয় সংগ্ৰামৰ এটা পৰ্য্যায়ত এই অস্ত্ৰই অসাধ্য সাধন কৰিবলৈ সক্ষম হৈছিল।

গান্ধীজীৰ কঠোৰ সমালোচক সকলেও অন্ততঃ এটা কথা স্বীকাৰ কৰে যে জনসাধাৰণক বিপুল মন্ত্ৰেৰে উদ্বুদ্ধ কৰাৰ এটা কৌশল তেওঁ খুব ভালকৈ বুজি পাইছিল আৰু সন্দেহাতীত কৃতকাৰ্য্যতাৰে তাক প্ৰয়োগ কৰিছিল। তেওঁ জানিছিল যে সংগ্ৰাম চলি থকাৰ সময়ত সংগ্ৰামৰ নেতাসকলে নিজে ভোগ-বিলাসত আকণ্ঠ মগ্ন হৈ থাকি জনসাধাৰণক দুখবৰণ কৰিবলৈ আহ্বান জনাবলৈ তেওঁলোকৰ কোনো নৈতিক অধিকাৰ নাই। দৰিদ্ৰ জনতাৰ সুখ-দুখৰ সমভাগী হৈ তেওঁলোকৰে কান্ধত কান্ধ মিলাইহে সংগ্ৰামৰ পথত আগবাঢ়ি যোৱাটো সম্ভৱ।

মুখেৰে সকলোৱে কয় যে আজি আমাৰ দেশত এটা বিপ্লৱ চলিব ধৰিছে। সি হ'ল সমাজবাদ প্ৰতিষ্ঠাৰ

বিপ্লব। স্বাধীনতা লাভৰ লগে লগে আমাৰ দেশৰ ৰাজনৈতিক স্বাধীনতাৰ সংগ্ৰামৰহে অন্ত পৰিল; কিন্তু আচল যি সংগ্ৰাম দৰিদ্ৰ জনতাৰ অৰ্থনৈতিক মুক্তিৰ সংগ্ৰাম— সি এতিয়াও অসমাপ্ত হৈয়ে আছে। যোৱা ২৬ বছৰ ধৰি চলা এই সংগ্ৰামৰ পৰিণতি স্বৰূপে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা মানুহৰ সংখ্যা শতকাৰ ৪০ ভাগৰ পৰা দেশৰ ঠায়ে ঠায়ে শতকাৰ ৭৫ ভাগলৈ বৃদ্ধি পালে। পুঁজিবাদী শোষণৰ অৱসান ঘটাই সমাজবাদ প্ৰতিষ্ঠা কৰিব খোজা এই সংগ্ৰামৰ পৰিণতি স্বৰূপে কেৱল বিড়লা গোষ্ঠীৰেই মূলধন ১৯৫১ চনৰ পৰা ১৯৬৬ চনলৈ মুঠ ২৭ কোটি টকাৰ পৰা ৫৪৭ কোটি টকালৈ, আৰু ১৯৭১ চনত ৬৭১ কোটি টকালৈ বৃদ্ধি পালে। আমাৰ দেশৰ অৰ্থনৈতিক বিকাশৰ খতিয়ানো অতি চমকপ্ৰদ। ১৯৪৯ চনত চীন দেশে যেতিয়া বছৰি মাত্ৰ ১০ লাখ টন লোহা উৎপাদন কৰিছিল, সেই সময়ত ভাৰতৰ লোহাৰ উৎপাদনৰ পৰিমাণ আছিল বছৰি ১১ লাখ টন। কিন্তু ১৯৬৮ চনত চীনৰ উৎপাদনৰ পৰিমাণ হ'ল ডেৰ কোটি টন আৰু ভাৰতৰ মাত্ৰ ৩৫ লাখ টন।

১৯৪৭ চনত যি প্ৰতাৰণাৰ আৰম্ভ হ'ল, আজিও তাৰ অন্ত পৰা নাই। বৰং দিনে দিনে সি বৃদ্ধি পাইছে। আজি যি সময়ত নিদাৰুণ অৰ্থনৈতিক সংকটে দেশক গ্ৰাস কৰি ধৰিছে আৰু কোটি কোটি মানুহৰ প্ৰাণ কণ্ঠগত হৈছে— সেই সময়ত কিন্তু এমুঠি এলিট আৰু সুবিধাভোগী মানুহৰ ভোগ-বিলাসৰ পৰিমাণে সকলো সহ্যৰে সীমা অতিক্ৰম কৰি গৈছে। ৰাজনীতি কৰা সকলো মানুহেই আজি তাড়-স্বৰে প্ৰচাৰ কৰিব ধৰিছে যে দেশত সম্প্ৰতি এটা বিপ্লৱ চলিব ধৰিছে, ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ বিৰুদ্ধে সংগ্ৰাম চলিব ধৰিছে। এই সংগ্ৰামৰ সৈনিক কোনসকল? তেওঁলোকক খাৰ-বাৰুদ আৰু অস্ত্ৰ-শস্ত্ৰ কোন যোগাইছে? এই সৈনিকসকল হ'ল এম. এল. এ., এম. পি., মন্ত্ৰী আৰু তেওঁলোকৰ অনুচৰসকল; খাৰ-বাৰুদ যোগাওঁতা হ'ল যোৱা ২৬ বছৰত জনসাধাৰণক লুটি-পুটি ক'লা টকাৰ পাহাৰ সৃষ্টি কৰা ভাৰতৰ নতুন ধনিক শ্ৰেণীটো। এই কথা কোনে অস্বীকাৰ কৰিব পাৰে যে কংগ্ৰেছ পাৰ্টিৰ নিৰ্বাচনী ব্যয়ভাৰৰ বৃহৎ অংশটো বহন কৰে ক'লা টকাৰ মালিকসকলে? এই কথা কোনে অস্বীকাৰ কৰিব পাৰে যে ভাৰতবৰ্ষত ফট্‌কা-বাজী, লাইচেঞ্চ বিতৰণ, প্ৰশাসনিক দুৰ্নীতি আৰু মানুহৰ মূৰ কিনা-বেচাৰ ব্যৱসায় প্ৰধানকৈ চলে ক'লা টকাৰ অৰ্থনৈতিক সহায়েৰে? সকলোৱেই জানে যে ফাকি দিয়া কৰেই ক'লা টকাত পৰিণত হয়। এই ক'লা টকা কমক ছাৰি দিনে দিনে কেনেকৈ বৃদ্ধিহে পাব ধৰিছে তাক ৱাঞ্চু কমিটীৰ প্ৰতিবেদনে ভালকৈ প্ৰমাণ কৰি দেখুৱাইছে। এই প্ৰতিবেদনৰ পৰা দেখা যায় যে ফাকি দিয়া কৰৰ মুঠ পৰিমাণ ১৯৬১-৬২ চনত আছিল ৮১১ কোটি টকা; ১৯৬৫-৬৬ চনত ১২১৬ কোটি টকা; ১৯৬৮-৬৯ চনত সি হ'লগৈ ১৪০০ কোটি টকা। সম্প্ৰতি দেশত ক'লা টকাৰে যিমানবোৰ ব্যৱসায় লেন-দেন চলে, তাৰ মুঠ পৰিমাণ হ'ল প্ৰায় ৭০০০ কোটি টকা। কিন্তু আজি যিসকল লোকে এই ক'লা টকাৰ পৰাই পুষ্টি আহৰণ কৰি ৰাজনীতি কৰি আছে, তেওঁলোকেই ক'ব খোজে যে তেওঁলোকে বোলে ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীলতাৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে। ইয়াতকৈ অধিক হাস্যোদ্ৰেককাৰী কথা আন কিবা হ'ব পাৰেনে?

ভাৰতত আজি দৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা মানুহৰ সংখ্যা দিনে দিনে যিমানেই বাঢ়ি যাব ধৰিছে, ঠিক সিমানেই বাঢ়ি যাব ধৰিছে সমাজৰ এমুঠিমান ভাগ্যবান মানুহৰ ভোগ-বিলাসৰ পৰিমাণ। এই অপৰিমেয় ভোগ বিলাসতো খাইকৈ ইন্ধন যোগাইছে ক'লা টকাই। দেশত সম্প্ৰতি এটা কথা ৰবকৈ শুনা যায়। সেইটো হৈছে চিলিঙৰ কথা। মাটিৰ চিলিং বান্ধি দিয়া হৈছে, চহৰীয়া সম্পত্তিৰ চিলিং বান্ধি দিবলৈ লম্ফ-জম্ফ কৰি থকা হৈছে। কিন্তু আজি দেশত আটাইতকৈ বেছিকৈ প্ৰয়োজন হৈছে ব্যক্তিগত ভোগ-

বিলাস আৰু খৰচৰ চিলিং বা সৰ্বোচ্চ সীমা বান্ধি দিয়াতো। যিখন দেশত শতকৰা ৭৫ জন মানুহৰ দুবেলা দুমুঠি খাবলৈ নাই, মূৰৰ ওপৰত এডোখৰ ভগা ছালি নাই, বেমাৰৰ সময়ত সামান্যতম চিকিৎসাৰ ব্যৱস্থা নাই, সেইখন দেশত মাত্ৰ কেইলাখমান মানুহৰ অপৰিমেয় ভোগ-বিলাসত উটি-ভাহি থাকিবলৈ কোনো অধিকাৰ নাই। কিন্তু দুৰ্ভাগ্যৰ কথা যে যিসকল লোকৰ হাতত এই চিলিং বান্ধ দিয়াৰ ক্ষমতা আছে, তেওঁলোক নিজেই এই অপৰাধত আটাইতকৈ ডাঙৰ অপৰাধী। সমগ্ৰ দেশ আজি সমাজবাদীৰে ভৰি গৈছে, কিন্তু এইসকল সমাজবাদী হ'ল 'কেডিলাক্ চচিয়েলিষ্ট' ক'লা টকাৰ পৰা পুষ্টি আহৰণ কৰা চচিয়েলিষ্ট। এই নিৰ্মম ভণ্ডামি দেশৰ মানহে বেছি দিন নিশ্চয় সহ্য নকৰিব। মনত ৰাখিব লাগিব যে কেৱল সেইসকল লোকৰহে সমাজবাদ আৰু বিপ্লৱৰ নাম মুখত লোৱাৰ অধিকাৰ আছে— যিসকল লোকে ৰাজকীয় ভোগ-বিলাস ত্যাগ কৰি বিপ্লৱী সৈনিকৰ দৰে সৰল আৰু অনাড়ম্বৰ জীৱন যাপন কৰি দৰিদ্ৰ জনতাৰ লগত একাত্মতা স্থাপন কৰিব পাৰে। কোৱা বাহুল্য মাথোন যে ভাৰতৰ শাসক-গোষ্ঠীৰ বেছি ভাগ লোকৰেই আজি সেই অধিকাৰ নাই।

সাপ্তাহিক নীলাচল, ২৪০ সংখ্যা : ১৮ জুলাই, ১৯৭৩ চন

অসম ৰাজ্যিক ৰাজনৈতিক সন্মিলন

অসম প্ৰদেশ ৰাজনৈতিক সন্মিলনৰ সদ্য-সমাপ্ত গুৱাহাটী অধিৱেশনৰ সূক্ষ্ম পৰ্যালোচনা কৰোঁতে তাত গৃহীত হোৱা প্ৰস্তাৱকেইটাতকৈ অধিকতৰভাৱে দৃষ্টি আকৰ্ষণ কৰে গৃহীত নোহোৱা প্ৰস্তাৱ এটাইহে। এই অধিৱেশনে দুদিনীয়া আলোচনাৰ শেষতো ৰাজ্যখনৰ অৰ্থনৈতিক জীৱনৰ সমস্যা আৰু তাৰ সমাধান সম্পৰ্কে কোনো প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰিলে। অসম প্ৰদেশ ৰাজনৈতিক সন্মিলন ৰাজ্যৰ শাসক দলৰ উদ্যোগত হোৱা অনুষ্ঠান। দৰিদ্ৰমোচন কৰি আৰু সামাজিক বৈষম্য আঁতৰাই দেশৰ অৰ্থনীতিৰ মহা-বিপ্লৱ আনিবলৈ অংগীকাৰবদ্ধ এই ৰাজনৈতিক দলৰ এনে এটা বিৰাট সমাৱেশে ৰাজ্যখনৰ অৰ্থনৈতিক প্ৰগতিৰ কোনো পথ নিৰ্দেশ নকৰাকৈ দিহা দিহি আঁতৰি যোৱাটো সন্মিলনৰ বিফলতাৰ নামান্তৰ। সাম্প্ৰতিক সময়ত এই শাসক দলে সদৰ্পে দাবী কৰি আছে যে তেওঁলোক ৰাজ্যখনৰ অৰ্থনৈতিক সমস্যাবোৰৰ স্বৰূপ উপলব্ধি কৰিছে আৰু তাৰ সমাধানৰ আঁতবোৰো বিচাৰি পাইছে। এনে এক গুৰুত্বপূৰ্ণ অধিৱেশনে অৰ্থনৈতিক দিশত কোনো পথ নিৰ্দেশ কৰিব নোৱাৰাটোৱে সন্মিলনৰ বিফলতা আৰু প্ৰকট কৰি তুলিছে। সন্মিলনে গ্ৰহণ কৰা প্ৰস্তাৱকেইটা কম-বেছি পৰিমাণে ৰুটিনমাফিক।

প্ৰাপ্ত বাতৰি মতে অৰ্থনৈতিক প্ৰস্তাৱৰ পূৰ্ব-প্ৰস্তুত খচৰা এটা লৈ নেতৃবৰ্গৰ মাজত গভীৰ মতবৈষম্য আৰু উত্মতাভৰা তৰ্ক-বিতৰ্ক সৃষ্টি হৈছিল। খচৰাটোৰ বিভিন্ন আলোচনাৰ সময়ত মাজে মাজে এই মতবৈষম্য ইমান গভীৰ হৈ পৰিলগৈ যে অৱশেষত অৰ্থনৈতিক প্ৰস্তাৱটো এখন পৰৱৰ্তী অধিৱেশনলৈ মূলতুবী কৰা হ'ল। সন্মিলনত এই দৰেই ঘোষণা কৰা হয় যে মতবৈষম্য থকাৰ বাবেই অৰ্থনৈতিক প্ৰস্তাৱৰ আৰু বিশদ আলোচনাৰ প্ৰয়োজন আছে আৰু সেয়েই ওদালগুৰিত হ'বলগা পৰৱৰ্তী এখন অধিৱেশনত এই প্ৰস্তাৱ উত্থাপন কৰা হ'ব।

এই বিষয়ে সন্দেহ নাই যে এনে অন্তবিহীন মত-বৈষম্যই কোনো ৰাজনৈতিক দলৰ সুস্থতাৰ পৰিচয় নিদিয়ে। আমি দেখি আহিছোঁ যে যোৱা কিছুদিনৰ ভিতৰত এই শাসক দলে অসমৰ অৰ্থনৈতিক জীৱনত কিছুমান গুৰুত্বপূৰ্ণ নতুন ব্যৱস্থাৰ অৱতাৰণা কৰিছে আৰু দাবী কৰিছে যে এই ব্যৱস্থা সমূহৰ যোগেদিয়ে ৰাজ্যখনৰ অৰ্থনৈতিক জীৱনত এক বৈপ্লৱিক পৰিবৰ্তন সূচিত হ'ব। অসমৰ দৰিদ্ৰ জনসাধাৰণেও অৱশেষত সুদীৰ্ঘ দুৰ্ভাগ্যৰ অৱসান ঘটাৰ আশাৰ ইংগিত দেখি এই ব্যৱস্থাবোৰ গ্ৰহণ কৰিবলৈ নিজকে প্ৰস্তুত কৰি আনিছিল। চৰকাৰী প্ৰচাৰ যন্ত্ৰই অহৰহ এই ব্যৱস্থা বিলাকৰ ফলপ্ৰসূতা আৰু কাৰ্যকাৰিতা সম্পৰ্কে ৰাইজক অৱগত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। অসমৰ মুখ্যমন্ত্ৰীয়ে এই ব্যৱস্থা সমূহ সম্পৰ্কে জনজাগৰণ সংগঠিত কৰিবলৈ পৰম আন্তৰিকতাৰে যত্ন কৰিছে। ঠিক এনে সময়ত ৰাজ্যৰ ভাগ্য নিয়ন্তা সকলৰ মাজত এনে মতবৈষম্যই জনসাধাৰণক নিশ্চয় কিছু পৰিমাণে দ্বিধাগ্ৰস্ত কৰি তুলিব। ৰাইজৰ মনত এই সন্দেহ জাগি উঠিব— যিসকলে এই ব্যৱস্থা সমূহ ৰচনা কৰিছে তেওঁলোকে নিজেই তাৰ সাফল্য সম্পৰ্কে নিঃসন্দেহ হ'ব পাৰিছে জানো? যি শাসক দলে অৰ্থনৈতিক বিপ্লৱৰ নামত এই ব্যৱস্থা সমূহ ৰচনা কৰিছে সেই দলৰ নিজৰ ওপৰত আস্থা আছেনে? যি দলৰ ভিতৰ মহলতে এই ব্যৱস্থা সমূহ সম্পৰ্কে মতদ্বিধা আছে, সেই দলে

ৰাইজৰ মনত দ্বিধা আঁতৰাব কেনেকৈ? অসম প্ৰদেশ ৰাজনৈতিক সন্মিলন পতা হয় প্ৰধানতঃ বিভিন্ন ব্যৱস্থা সম্পৰ্কে জনমত গঢ়ি তুলিবলৈ। বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধিবৰ্গই সন্মিলনৰ বাণী বহন কৰি লৈ যাব নিজ নিজ অঞ্চললৈ, তাৰ মাজেদি জনমতৰ সুস্থ পৰিবেশ গঢ়ি উঠিব— এয়ে প্ৰধানতঃ ৰাজনৈতিক সন্মিলনৰ উদ্দেশ্য। তেনেহ'লে এই অধিৱেশনলৈ অহা প্ৰতিনিধিবৰ্গই এইবাৰ লগত কি লৈ গ'ল? দলৰ নেতৃমহলৰ এই দ্বিধা-দ্বন্দ্বৰ মাজৰ পৰা প্ৰতিনিধিবৰ্গই নিশ্চয় একো স্থিৰ ইংগিত নাপালে আৰু তেওঁলোকৰ মাধ্যমেৰে এই দ্বিধা-দ্বন্দ্ব জনসাধাৰণৰ মাজলৈ সংক্ৰমিত হোৱাটো কংগ্ৰেছ দল আৰু সেই দলৰ স্বাৰ্থৰ অনুকূলে নিশ্চয় নহ'ব। অথচ অসম প্ৰদেশ ৰাজনৈতিক সন্মিলনে অৰ্থনৈতিক বিপ্লৱৰ পথ নিৰ্দেশ কৰিবলৈ গৈ কেৱল সংশয়ৰ পৰিবেশ ৰচনা কৰি দিলে।

আলোচনা-বিলোচনাৰ শেষতো এনে বিতৰ্কৰ কোনো অৱসান নঘটাৰ আৰু মীমাংশা নোহোৱাৰ তিনিটা কাৰণ হ'ব পাৰে। প্ৰথম, ৰাজ্যখনৰ অৰ্থনৈতিক সমস্যাৱলী সম্পৰ্কে এই নেতৃবৰ্গৰ হয়তো কোনো সম্যক আৰু গভীৰ অধ্যয়ন বা ধ্যান-ধাৰণা নাই। অসম কংগ্ৰেছৰ যোৱা বহু বছৰৰ সভা-সমিতি সমূহ মনত পেলালেই দেখা যাব যে তাত বিভিন্ন নেতাই তত্ত্বগধুৰ ভাষই দি গ'লেও ৰাজ্যখনৰ অৰ্থনৈতিক প্ৰগতিৰ বাবে কোনো পথৰ ইংগিত আচলতে কোনেও কেতিয়াও দিব পৰা নাছিল। সাধাৰণতে চমক দি প্ৰাধান্য বিস্তাৰৰ উদ্দেশ্যেৰেই অনেক নেতাই আমদানি কৰা তাত্ত্বিক জ্ঞানত ভিত্তি কৰি এনেবোৰ আলোচনাত ভাগ লৈছিল আৰু ব্যৱহাৰিক জ্ঞানৰ অভাৱত অথবা বাস্তৱ দৰ্শন নথকাৰ বাবে এনেবোৰ বিতৰ্কৰ কেতিয়াও ওৰ নপৰিছিল। অসম ৰাজনৈতিক সন্মিলনৰ সাম্প্ৰতিক অধিৱেশনতো বিতৰ্কৰ অৱতাৰণা কৰা নেতা সকলৰ অনেকেই কেৱল চমক সৃষ্টিৰ বাবেই এনে কৰিছিল বুলি অধিৱেশনলৈ অহা কোনো কোনো প্ৰতিনিধিয়ে অনুভৱ কৰি গৈছে।

এনে ধৰণৰ বিতৰ্ক ৰাজনৈতিক ক্ষমতা লাভৰ বাবে ব্যক্তি বা গোষ্ঠী বিশেষে চলোৱা পৰোক্ষ হ'লেও সেই বিতৰ্কৰ সাধাৰণতে মীমাংসা হ'বলৈ দিয়া নহয়। ৰাজনৈতিক ক্ষমতা হস্তগত কৰিবৰ বাবে অকাৰণ কোলাহল সৃষ্টি কৰি ক্ষমতাধিস্থ সকলৰ ভাবমূৰ্তি ভাঙি পেলোৱাৰ চেষ্টা এটা পুৰণি কৌশল। অসম কংগ্ৰেছৰ শেহতীয়া বাতাবৰণ যে সম্পূৰ্ণ স্বাস্থ্যকৰ নহয়, তাৰ অনেক প্ৰমাণ আছে। অৱশ্যে অসমৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বৰ গুণত অসম কংগ্ৰেছত কোনো বিস্ফোৰণ ঘটিব পৰা নাই। প্ৰদেশ কংগ্ৰেছৰ শেহতীয়া নিৰ্বাচনৰ সময়ত সভাপতি পদক কেন্দ্ৰ কৰি উপদলীয় বিভাজনৰ অপচেষ্টা চলিছিল। প্ৰদেশ যুৱক কংগ্ৰেছৰ সাম্প্ৰতিক অন্তৰ্দ্বন্দ্বৰ আলমতো তেনে এক চেষ্টা চলাৰ বিষয়ে সাপ্তাহিক নীলাচলৰ এটা পূৰ্ববৰ্তী সংখ্যাত বিশদভাৱে আলোচনা কৰা হৈছিল। আনকি ৰাজনৈতিকি সন্মিলনৰ অভ্যৰ্থনা সমিতি গঠনৰ সময়তো দলৰ মাজত দুটা উপদলৰ উপস্থিতিৰ ইংগিত পোৱা গৈছিল।

বিতৰ্কৰ নামত কোলাহল সৃষ্টি কৰাৰ আন এটা কাৰণ হ'ব পাৰে এয়ে যে দলৰ মাজত কোনো এটা চক্ৰই চৰকাৰৰ সাম্প্ৰতিক অৰ্থনৈতিক ব্যৱস্থা সমূহ সফল বা অব্যাহত থকাটো নিবিচাৰে। চৰকাৰীভাৱে এই শক্তিসমূহক প্ৰতিক্ৰিয়াশীল বুলি অভিহিত কৰা হয়। ৰাজনৈতিক সন্মিলনত ভাষণ দি কংগ্ৰেছৰ সাধাৰণ সম্পাদক শ্ৰীচন্দ্ৰজীৎ যাদৱে, মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই আৰু অন্যান্য নেতৃবৰ্গই এই শক্তিসমূহৰ বিষয়ে কংগ্ৰেছ কৰ্মীসকলক সতৰ্ক কৰি দিব খুজিছিল।

অসম প্ৰদেশ ৰাজনৈতিক সন্মিলনৰ মজিয়াত হোৱা বিতৰ্কৰ কাৰণ এই তিনিওটা কাৰণৰ কেউটাই হ'ব পাৰে। আৰু সেয়ে এই সন্মিলনত স্পষ্ট হৈ উঠা মতবৈষম্যৰ পৰিবেশ অসমৰ শাসক দলৰ বাবে এক

প্রত্যাহ্বান স্বৰূপ হৈ পৰিছে। ব্যৱহাৰিক জ্ঞান ৰহিত সমাজবাদ ব্যাখ্যাৰ মানসিকতা, 'যেন তেনে প্ৰকাৰেণ' ৰাজনৈতিক ক্ষমতা লাভৰ প্ৰচেষ্টা আৰু দলৰ মাজত ন্যস্ত স্বাৰ্থৰ অৱস্থান— কেউটাই সমানে ক্ষতিকৰ। ইয়াৰ যিকোনো এটায়েই শাসক দলৰ কৰ্মীসকলক দ্বিধা-দ্বন্দ্বৰ মাজলৈ টানি নিব পাৰে আৰু ৰাজ্যৰ কল্যাণ কামনা সামান্যতমভাৱেও কৰা যিকোনো লোকক ক্ষমতাৰ যুদ্ধত লিপ্ত কৰাবহি পাৰে। অৰ্থনৈতিক প্ৰস্তাৱৰ খচৰাক কেন্দ্ৰ কৰি নেতৃবৰ্গৰ মনত হোৱা ওৰ নপৰা বিতৰ্কই প্ৰতিনিধিসকলৰ মনত তেনে সংশয়েই নিশ্চয় আনি দিলে।

অৱশ্যে এই অধিৱেশনৰ এটা শুভ দিশেও আমাৰ দৃষ্টি আকৰ্ষণ নকৰাকৈ থকা নাই। সন্মিলনত ভাষণ দি নেতৃবৰ্গই প্ৰতিশ্ৰুতি পালন কৰাৰ ক্ষেত্ৰত সফলতাৰ দাবী কৰা নাই, বৰঞ্চ এতিয়ালৈকে তেওঁলোকৰ বিফলতাকে পৰোক্ষভাৱে স্বীকাৰ কৰিছে। ন্যস্ত স্বাৰ্থ, প্ৰতিক্ৰিয়া আৰু অন্যান্য শক্তিসমূহক নিন্দা কৰি বিফলতা ব্যাখ্যা কৰাৰ চিৰাচৰিত প্ৰয়াস সত্ত্বেও এই স্বীকাৰোক্তি আমাৰ বাবে আন্তৰিকতাৰ পৰিচায়ক। অসমৰ মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত ক্ষমাহীনভাৱে আত্মবিশ্লেষণ কৰাটোও আমাৰ বাবে আশ্বাসৰ কাৰণ। অধিৱেশন উপলক্ষ্যে প্ৰকাশিত স্মাৰক-পত্ৰলৈ দিয়া এটা বাণীত মুখ্যমন্ত্ৰী শ্ৰীসিংহই কংগ্ৰেছৰ বিভিন্ন কল্যাণমূলক কামৰ ক্ষেত্ৰত অহা বাধা-বিপত্তিবোৰ বিশ্লেষণ কৰিও দ্বিধাহীনভাৱে কংগ্ৰেছকৰ্মীসকলক সকীয়াই দিছে— 'ৰাইজৰ কাষত দিয়া প্ৰতিশ্ৰুতি পালনৰ ক্ষেত্ৰত শিথিলতা দেখুৱালে আমি ক্ষমাৰ যোগ্যতাও হেৰুৱাই পেলামগৈ।' মুখ্যমন্ত্ৰীৰ এই আত্মচেতনাই যদি ৰাজনৈতিক সন্মিলনৰ যোগেদি কৰ্মীসকলৰ চেতনাতো একে ধৰণৰ উপলব্ধি সামান্যতমভাৱেও সঞ্চাৰিত কৰিব পাৰিছে, তেনেহ'লে সেয়েই এই সন্মিলনৰ একমাত্ৰ সফলতা বুলি পৰিগণিত হ'ব।

ছাৰ লগত যুদ্ধ

দেশৰ অৰ্থনৈতিক সংকটৰ বিষয়ে বিশ্লেষণ ইমান বেছি কৰা হৈ গৈছে যে সেই বিষয়ে নতুন কথা ক'বলৈ আৰু বাকী নাই বুলিয়েই ক'ব পাৰি। সত্যতত্ত্বৰ ফুলজাৰি মাৰিও এই কথা প্ৰমাণ কৰিবৰ কোনো প্ৰয়োজন নাই যে ভোগ্য-পণ্যৰ মূল্য-বৃদ্ধি আৰু দুষ্প্ৰাপ্যতাই এই বছৰ সকলো সীমা চেৰাই গৈছে। নিদাৰুণ অভিজ্ঞতাৰ মাজেদি মধ্যবিত্ত আৰু দুখীয়া শ্ৰেণীৰ সকলো মানুহে এই কথা হাড়ে-হিমজুৰে অনুভৱ কৰিছে। অভাব-অনাটনৰ জ্বালাত সাধাৰণ মানুহৰ জীৱন এটা অন্তহীন দুঃস্বপ্নত পৰিণত হৈছে। এতিয়া কেৱল প্ৰশ্ন হৈছে— এই দুঃস্বপ্নৰ কেতিয়া অন্ত পৰিব? সমগ্ৰ দেশজুৰি বিপৰ্যয়ৰ কৰাল ছাঁ বিস্তাৰ কৰা অৰ্থনৈতিক সমস্যাবোৰৰ আশু-সমাধান কৰিবলৈ চৰকাৰৰ শক্তি আৰু মনোবল আছেনে? এই সমস্যাবোৰৰ সমাধান কৰাত চৰকাৰ যদি ব্যৰ্থ হয়, তেন্তে তাৰ পাচত কি অৱস্থাৰ সৃষ্টি হ'ব?

এই কথা আজি ভাবিলেও আচৰিত লাগে যে মাত্ৰ দুবছৰ আগতে এই চৰকাৰে দেশৰ পৰা গৰিবী দূৰ কৰাৰ প্ৰতিশ্ৰুতি দিছিল, পূৰ্ণ আৰ্থিক স্বৰাজ, অৰ্জন কৰাৰ সংকল্প লৈছিল, নিবনুৱা সমস্যা সমাধান কৰাৰ স্বপ্ন দেখিছিল। আজি মাত্ৰ দুবছৰৰ ভিতৰতে এই সকলোবোৰ নিৰ্মম প্ৰহসনত পৰিণত হৈছে। 'গৰিবী' দূৰ হোৱা দূৰৰ কথা, দিনে দিনে সি অবিশ্বাস্য গতিত বৃদ্ধি পাব ধৰিছে। 'পূৰ্ণ আৰ্থিক-স্বৰাজ'ৰ নমুনা এয়েই যে আমি এই বছৰতে প্ৰায় ৩৫০ কোটি টকাৰ খাদ্য-দ্ৰব্য, ২৫০ কোটি টকাৰ তীখাক আৰু বিপুল পৰিমাণৰ টকা বিভিন্ন ঔদ্যোগিক কেঁচামাল কিনিব লগা অৱস্থা হৈছে। দেশৰ আৰ্থিক অৱস্থাই সম্প্ৰতি যি ৰূপ লৈছে, তাৰ মাজত নিবনুৱা সমস্যা সমাধান কৰাৰ স্বপ্ন দেখাটো বাতুলতা মাত্ৰ। দেশৰ অৰ্থনীতি সম্পূৰ্ণ চৰকাৰৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ গুচি গৈছে আৰু বল্গাহীন ঘোঁৰাৰ দৰে দিক্-চিহ্নহীন অন্ধকাৰ ধাপলি মেলিছে। আটাইতকৈ ভয়ৰ কথা হৈছে এয়েই যে এই চৰম সংকটৰ মুহূৰ্তত দেশৰ কৰ্ণধাৰসকলে জনসাধাৰণক কিছুমান অৰ্থহীন আৰু নিষ্ফল নিচুকনি দিয়াৰ বাহিৰে আন কোনো স্পষ্ট আশাৰ ইংগিত দিব পৰা নাই; তেওঁলোকে নিজেই ভয়ত বিবুধি হোৱা আৰু পেপুৱা লগা দেখা গৈছে।

হাতে হাতে ধৰা পৰা নৰঘাতী অপৰাধীয়েও আত্মপক্ষৰ সমৰ্থনত নানা ওকালতি-যুক্তি দিয়ে। নানা অভিযোগৰ উত্তৰত চৰকাৰৰ কৈফিয়তৰ অভাৱ নাই। কিন্তু চৰকাৰী ব্যৰ্থতাৰ ব্যাখ্যা বা উজুহাতেৰে ক্ষুধাৰ্তৰ পেট নভৰে। সাধাৰণ মানুহে মন্ত্ৰীৰ মুখত আখৈ ফুটা দি ফুটা অৰ্থনৈতিক পৰিস্থিতিৰ ব্যাখ্যা বা তাত্ত্বিক বিশ্লেষণ বুজি নাপায়। তেওঁলোকে কেৱল এই কথাকেই বুজি পায় যে শাসক দলৰ নানা প্ৰতিশ্ৰুতিত ভোল গৈ তেওঁলোকে বৰ্তমানৰ চৰকাৰৰ হাতত অভূতপূৰ্ব ৰাজনৈতিক ক্ষমতা তুলি দিছিল; এতিয়া সেই ক্ষমতাৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰি চৰকাৰে জনসাধাৰণক জীৱন ধাৰণৰ নিম্নতম সুবিধাখিনি দিব লাগে। গণতান্ত্ৰিক ব্যৱস্থাত এটা চৰকাৰে যিমান বেছি জনসমৰ্থন বা ৰাজনৈতিক ক্ষমতা পাবলৈ আশা কৰিব পাৰে, তাতোকৈ বেছি জনসমৰ্থন আৰু ক্ষমতা বৰ্তমানৰ চৰকাৰে লাভ কৰিছে। বহুধা-বিভক্ত আৰু অনৈক্য জৰ্জৰিত বিৰোধী দলবোৰ ৰাজনৈতিক প্ৰতিপক্ষ হিচাবে নিচেই নগণ্য। নামত নহ'লেও কামত আজি ভাৰতত এক-দলীয় একনায়কত্ববাদ চলিছে বুলি ক'ব পাৰি। এনে অৱস্থাতো যদি কংগ্ৰেছ চৰকাৰে জনসাধাৰণৰ দুখ-দুৰ্গতি সামান্য পৰিমাণেও মোচন কৰিব নোৱাৰে, তেনেহ'লে সেই কাম তেওঁলোকে কেতিয়া কৰিব পাৰিব বুলি আশা কৰিব পাৰে?

কংগ্ৰেছ চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতি কিয় পালন কৰিব পৰা নাই, সেই প্ৰশ্নৰ এটাই মাত্ৰ উত্তৰ আছে। সেইটো হৈছে এই যে কংগ্ৰেছ অনুষ্ঠানে বা চৰকাৰে শোষণ, দুৰ্নীতি আৰু অৰ্থনৈতিক ন্যস্ত-স্বাৰ্থৰ বিৰুদ্ধে যুদ্ধ কৰাৰ পৰিবৰ্তে সদায় কেৱল নিজৰ ছাঁটোৰ লগতে যুদ্ধ কৰি আছে। উদাহৰণ স্বৰূপে ঘেঁহুৰ চৰকাৰী ব্যৱসায়ৰ কথাই ধৰা হওক। সংখ্যা-তত্ত্বৰ নানা ভেল্‌কিবাজীৰ দ্বাৰায়ো এই কথা গোপন কৰিবলৈ আজি কোনো উপায় নাই যে চৰকাৰৰ এই প্ৰচেষ্টা শোচনীয়ভাবে ব্যৰ্থ হৈছে, আৰু দেশৰ বৰ্তমান অৰ্থনৈতিক সংকটৰ ইও এটা অন্যতম কাৰণ। এই প্ৰচেষ্টা কিয় ব্যৰ্থ হ'ল? কোন তাৰ বাবে দায়ী? দেশৰ প্ৰধান মন্ত্ৰীৰ পৰা আৰম্ভ কৰি মণ্ডল কংগ্ৰেছৰ সভাপতিলৈকে প্ৰত্যেকেই ক'ব খোজে যে ঘেঁহুৰ চৰকাৰী সংগ্ৰহ ব্যৰ্থ হোৱাৰ প্ৰধান কাৰণ হ'ল ন্যস্ত-স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল শক্তিৰ চক্ৰান্ত। অথচ এই কথা সকলোৱেই জানে যে এই 'প্ৰতিক্ৰিয়াশীল লোকসকল' আন কোনো নহয়, তেওঁলোক হ'ল কংগ্ৰেছ অনুষ্ঠানৰ মাজত মন্ত্ৰী, এম.পি., এম. এল. এ. আদি ক্ষমতাশালী আৰু সুবিধাবাদী পদ দখল কৰি থকা কুলাক্ শ্ৰেণীৰ লোকসকল। উত্তৰ ভাৰতৰ ঘেঁহু-প্ৰধান ৰাজ্যকেইখনত এই লোকসকলেই চৰকাৰক ঘেঁহু দিবলৈ অস্বীকাৰ কৰি ঘেঁহুৰ সংগ্ৰহ-নীতি ব্যৰ্থ কৰি দি দেশত দাৰুণ অৰ্থনৈতিক বিপৰ্য্যয়ৰ সৃষ্টি কৰিলে। অথচ কংগ্ৰেছে এই লোকসকলক চিনি পায়ো তেওঁলোকৰ বিৰুদ্ধে একো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি এটা কাল্পনিক প্ৰতিক্ৰিয়াশীল শত্ৰুৰ লগত অৰ্থাৎ নিজৰ ছাঁৰ লগত ভাওনাৰ ভীমৰ গদা ঘূৰাই যুদ্ধ কৰি আছে।

দেশৰ অৰ্থনৈতিক সংকটৰ আৰু এটা প্ৰধান কাৰণ হ'ল ক'লা টকাৰ অবাধ ৰাজত্ব। চৰকাৰে নিজেই তাড়স্বৰে প্ৰচাৰ কৰি ফুৰিছে যে দহ হাজাৰ কোটি ক'লা টকাৰ সমান্তৰাল অৰ্থনীতিক নিজৰ বশলৈ আনিব নোৱাৰালৈকে দেশৰ অৰ্থনীতিক ৰাহুমুক্ত কৰিব পৰাৰ কোনো আশা নাই। কিন্তু আজিৰ দিনত কেঁচুৱা ল'ৰা এটায়ো জানে যে এই ক'লা টকাই হ'ল কংগ্ৰেছৰ শক্তিৰ অন্যতম প্ৰধান উৎস। হিচাব নোহোৱা আৰু কৰ দিব নলগা উপাৰ্জনেই যদি ক'লা টকা হয়, তেন্তে কংগ্ৰেছৰ নিৰ্বাচনী পুঁজিৰ কাৰণে গোপন উৎসৰ পৰা গোপনে সংগ্ৰহ কৰা হিচাপ দাখিল নকৰা কোটি কোটি টকাও নিশ্চয় ক'লা টকা। এই ক্ষেত্ৰতো কংগ্ৰেছে ছাঁৰ লগত যুদ্ধ কৰিছে; নিজেই ক'লা টকাৰ সৃষ্টিত সহায় কৰি আনহাতে ক'লা টকাৰ অশুভ শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰাৰ অভিনয় কৰি তেওঁলোকে জনসাধাৰণক প্ৰতাৰণা কৰিছে।

বৈদেশিক মুদ্ৰাৰ নাটনি ভাৰতৰ আন এটা ডাঙৰ সমস্যা। খাদ্য-শস্য, তীখা, ঔদ্যোগিক কেঁচামাল, যন্ত্ৰপাতি, অস্ত্ৰ-শস্ত্ৰ ইত্যাদি হাজাৰটা অপৰিহাৰ্য্য বস্তু কিনিবলৈ আমক বিপুল পৰিমাণৰ বৈদেশিক মুদ্ৰা লাগে। এনে অৱস্থাত বৈদেশিক মুদ্ৰাৰ সংকটে পৰিহাৰ কৰি দেশক অৰ্থনৈতিক বিপৰ্য্যয়ৰ পৰা ৰক্ষা কৰিবলৈ হ'লে আমাৰ সমুকত একমাত্ৰ কৰ্তব্য হ'ল নতুন এক 'স্বদেশী' মনোভাবৰ দ্বাৰা উদ্বুদ্ধ হৈ সকলো প্ৰকাৰৰ বিলাস-সামগ্ৰী আৰু অন্যান্য অপ্ৰয়োজনীয় বস্তুবোৰৰ আমদানি বন্ধ কৰাটো। কিন্তু যি স্থলত কোটি কোটি দৰিদ্ৰ জনতাৰ জীৱনৰ মন উন্নত কৰিবৰ কাৰণে জৰুৰীভাবে প্ৰয়োজনীয় বস্তুবোৰ আমদানী কৰিবলৈ আমাৰ হাতত পৰ্য্যাপ্ত বৈদেশিক মুদ্ৰা নাই, সেই অৱস্থাতো কিন্তু এমুঠি ধনী মানুহৰ ভোগ-বিলাসৰ উপকৰণৰ যোগান ধৰিবলৈ নানা বিলাস-সামগ্ৰী, বিদেশী গাড়ী, বিদেশী মদ, বিদেশী প্ৰসাধন-দ্ৰব্য আদি আমদানী কৰি থকা হৈছে। দৰিদ্ৰ দেশৰ এনে অপৰাধতুল্য বিলাস-বাহুল্য কঠোৰ হাতেৰে বন্ধ কৰাৰ ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰক কোনে বাধা দিছে? সৌ সিদিনা মাত্ৰ পাৰ্লিয়ামেণ্টত শ্ৰীচন্দ্ৰশেখৰৰ প্ৰশ্নৰ উত্তৰত পৰিকল্পনা মন্ত্ৰী শ্ৰীডি. পি. ধৰে ঘোষণা কৰিছে যে বিলাস-সামগ্ৰী আমদানী কৰাৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ নিয়ন্ত্ৰণ প্ৰবৰ্তন কৰিব। কিন্তু তেওঁ এনে ঘোষণা কৰিবলৈ এজন বে-চৰকাৰী সদস্যৰ সঁকীয়নিলৈ কিয় অপেক্ষা

কৰিব লগা হ'ল? তদুপৰি এই ঘোষণা যে প্ৰকৃতপক্ষে কাৰ্য্যকৰী কৰা হ'ব, তাৰেই বা কি নিশ্চয়তা আছে? এনেকুৱা ভণ্ড প্ৰতিশ্ৰুতি আগতেও বহুবাৰ শুনা গৈছে। জনসাধাৰণৰ মাজত সমাজবাদৰ বাণী প্ৰচাৰ কৰিবলৈ ভাৰতৰ মন্ত্ৰীক মহামূল্যৰ বিদেশী লিমুচিন্ মটৰ গাড়ী নহ'লেই নহয়; উৎকৃষ্ট বিদেশী মদ পেটলৈ গ'লেহে ভাৰতীয় উচ্চ-পদস্থ বিষয়া আৰু উদ্যোগপতিসকলৰ মগজত সমাজবাদী চিন্তাৰ স্ফূৰণ ঘটে। কিন্তু চৰকাৰে উপলব্ধি কৰা উচিত যে এনেকুৱা ভণ্ডামী বেছি দিনি নচলিব। দেশৰ ৰাজনৈতিক স্বাধীনতাৰ সংগ্ৰামত বিদেশী দ্ৰব্য-বৰ্জন আৰু স্বদেশীয়ানাৰ যিমান প্ৰয়োজন হৈছিল, আজি অৰ্থনৈতিক স্বাধীনতাৰ সংগ্ৰামত তাৰ প্ৰয়োজন হাজৰ গুণে বাঢ়িছে।

যি সময়ত দেশৰ কোটি কোটি মানুহৰ চকুৰ তললৈ জুই যোৱা নাই, হাজাৰ হাজাৰ মানুহ অনাহাৰত মৰিছে, দৰিদ্ৰ শ্ৰেণীৰ সকলো মানুহ আদিম অসভ্য মানুহৰ দৰে খাদ্য-চিকাৰীত পৰিণত হৈছে সেই সময়ত চৰকাৰৰ নেতাসকলে নিজৰ দুৰ্বুদ্ধিজনিত অৰ্থনৈতিক সংকটৰ সমাধান কৰি নোৱাৰি জনসাধাৰণক মিতব্যয়িতা পালন কৰিবলৈ আহ্বান জনাইছে। যি মানুহৰ পেটত ভাত নাই, গাত কাপোৰ নাই, সেইবোৰ মানুহে আৰু কি বেছি মিতব্যয়িতা পালন কৰাটো চৰকাৰে আশা কৰে? আৰু এই আহ্বান জনাইছে কোনে? জনাইছে সেইসকল মন্ত্ৰী, বিষয়া আৰু অন্যান্য ভাগ্যবান মানুহে— যিসকলৰ বিলাস-বৈভৱ আৰু আড়ম্বৰপূৰ্ণ জীৱন-যাত্ৰাই মোগল সম্ৰাটসকলকো চেৰাই গৈছে। কেই বছৰমানৰ আগতে এজন কেন্দ্ৰীয় মন্ত্ৰীয়ে তেওঁৰ চৰকাৰী বাস-গৃহটো 'গাহৰিৰ গঁড়াল' বুলি অভিহিত কৰিছিল। সেই বাস-গৃহত আছিল ছটা বিৰাট সোৱনি-কোঠা, চাৰিওফালে তেৰ বিঘা মাটিৰ ফুলৰ বাগিছা। এইজন মন্ত্ৰীয়েই আছিল কংগ্ৰেছ চৰকাৰৰ সমাজবাদী অৰ্থনীতিৰ মুখ্য প্ৰবক্তা। সেই একে ধৰণৰ 'গাহৰিৰ গঁড়াল'ত বাস কৰিয়েই এতিয়াও কংগ্ৰেছী মন্ত্ৰীসকলে সমাজবাদৰ বাণী প্ৰচাৰ কৰিয়ে আছে দৰিদ্ৰ জনসাধাণক হাঁহি-মুখে সকলো 'সাময়িক' দুখ-কষ্ট সহ্য কৰিবলৈ উপদেশ দিছে। ইয়াতকৈ বেছি ডাঙৰ নিৰ্মম ঠাট্টা আৰু আন কিবা হ'ব পাৰেনে? চৰকাৰৰ নেতাসকলে এই কথা মনত ৰখা উচিত যে তেওঁলোকে নিজৰ সামন্তবাদী জীৱন ধাৰা আৰু বিলাস বৈভৱ ত্যাগ কৰি জনসাধাৰণৰ সুখ-দুখৰ সমান অংশীদাৰ হ'ব নোৱাৰালৈকে সমাজবাদৰ নাম মুখত ল'বলৈ তেওঁলোকৰ একো নৈতিক অধিকাৰ নাই।

মুঠতে অপৰিমেয় ৰাজনৈতিক ক্ষমতা আৰু ব্যাপক জন-সমৰ্থন লাভ কৰিও কংগ্ৰেছ চৰকাৰে যে জনসাধাৰণক দিয়া কোনো এটা প্ৰতিশ্ৰুতিয়েই পূৰণ কৰি পৰা নাই, তাৰ প্ৰমাণ হ'ল কংগ্ৰেছ অনুষ্ঠানৰ শ্ৰেণী চৰিত্ৰ। দেশৰ সকলো প্ৰতিক্ৰিয়াশীল লোক আৰু অৰ্থনৈতিক নানা স্বাৰ্থই আজি কংগ্ৰেছৰ পক্ষ-পুটত আশ্ৰয় লাভ কৰিছে। আচল শত্ৰুক অন্তেৰপুৰত আশ্ৰয় দি কংগ্ৰেছে নিজৰ ছাঁটোৰ লগতেই যুদ্ধ কৰি আছে। কেৱল এটা বৈপ্লৱিক পাৰ্টিয়েও দেশৰ সমাজ-ব্যৱস্থাত এটা বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিব পাৰে। কিন্তু দুখৰ কথা যে এটা ডাঙৰ সুযোগ পায়ো কংগ্ৰেছে নিজকে সমাজ-ব্যৱস্থা স্থাপনৰ এটা উপযুক্ত হাথিয়াৰত পৰিণত কৰিব নোৱাৰিলে। কংগ্ৰেছৰ সমুখত এটি প্ৰধান কৰ্তব্য হ'ল তেওঁলোকৰ দলীয় সংবিধানৰ আমূল সংশোধন কৰা আৰু সকলো কংগ্ৰেছ সদস্যৰ কাৰণে এক কঠোৰ আচৰণবিধি তৈয়াৰ কৰা। সেইটো নকৰালৈকে এই দলে আন সকলো কাম কৰিব পাৰিলেও দেশত সমাজবাদ প্ৰতিষ্ঠা কৰিব নোৱাৰে আৰু জনসাধাৰণৰ দুখ-দুৰ্গতিও দূৰ কৰিব নোৱাৰে।

সাপ্তাহিক নীলাচল, ২৪৬ সংখ্যা : ১৯ চেপ্তেম্বৰ, ১৯৭৩ চন

অসম চৰকাৰৰ যান্ত্ৰিক দৃষ্টিভংগী

এটা বেলেগ প্ৰসংগত আমি কিছুদিনৰ আগতে লিখিছিলো যে সাধাৰণ ৰাজনীতিক আৰু প্ৰকৃত মানৱ-দৰদী জননেতাৰ মাজত এটা ডাঙৰ পাৰ্থক্য আছে। সাধাৰণ ৰাজনৈতিক নেতাৰ কাৰণে মানুহ এটা এবষ্ট্ৰেক্ট বা বিমূৰ্ত ধাৰণা মাত্ৰ; তেওঁলোকৰ বাবে মানুহ পৰিসংখ্যাৰ একোটা ইউনিট, ক্ষমতাৰ দবাখেলৰ একোটা ক্ৰীড়নক, বেলট বাকচৰ একোট ভোট মাত্ৰ। তেওঁলোকে যেতিয়া মানুহৰ কথা কয়, সেই মানুহ তেজ-মঙহৰ মানুহ নহয়। কিন্তু প্ৰকৃত মানৱ-দৰদী নেতাৰ কাৰণে মানুহ একোটা বিমূৰ্ত ধাৰণা মাত্ৰ নহয়, সমষ্টিৰ একোটা গোট মাত্ৰ নহয়, মানুহৰ কথা কওঁতে বা ভাবোঁতে তেওঁলোকৰ চকুৰ আগত তেজ-মাংসৰ মানুহৰ ছবিখন সদায়ে ভাহি থাকে।

শিবসাগৰ জিলাৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ পৰা অসম চৰকাৰে সম্প্ৰতি হাজাৰ হাজাৰ মানুহক উচ্ছেদ কৰিছে। ৰাতিটোৰ ভিতৰতে এই হাজাৰ হাজাৰ মানুহক উচ্ছেদ কৰি চৰকাৰে তেওঁলোকক দলনিত পোনা মেলা দিছে। বাতৰি কাকতত এই উচ্ছেদ কাৰ্য্যৰ বৰ্ণনা পঢ়ি মানুহে তেওঁলোকৰ সমস্যাৰ স্বৰূপ কিমানদূৰ উপলব্ধি কৰিব পাৰিছে, সি এটা সন্দেহৰ বিষয়। আৰ্থাৰ কোৱেষ্টলাৰে এবাৰ লিখিছিল যে আমি যেতিয়া বাতৰি কাকতত লাখ লাখ মানুহ দুৰ্ভিক্ষত বা ভূমিকম্পত মৰাৰ খবৰ পঢ়োঁ, সেই খবৰে আমাৰ মনত বিশেষ একো মানৱীয় প্ৰতিক্ৰিয়া সৃষ্টি নকৰে; দুৰ্লংঘ্য দূৰত্ব আৰু নিৰুত্তাপ মুদ্ৰণৰ মাজেদি পৰিশ্ৰুত হৈ অহা সেই খবৰ আমাৰ কাৰণে দৈনন্দিন হাজাৰটা খবৰৰ মাজৰে এটা 'খবৰ'ৰ বাহিৰে আন একো নহয়। কিন্তু যেতিয়া মাত্ৰ মানুহো আমাৰ চকুৰ আগতে আমি মৰা দেখোঁ, তেতিয়া আমি আতঙ্কত শিঁহৰিত বা কৰুণাত দ্ৰবীভূত হৈ পৰোঁ। দৈয়াং অঞ্চলৰ পৰা উচ্ছেদ হোৱা হাজাৰ হাজাৰ মানুহৰ দুখ-দুৰ্দশাৰ বৰ্ণনাও বেছিভাগ মানুহৰ কাৰণে এটা 'খবৰ'ৰ বাহিৰে বোধহয় একো নহয়।

অলপতে এখন সাংবাদিক মেলত মুখ্যমন্ত্ৰীয়ে বোলে এইবুলি প্ৰকাশ কৰিছে যে বে-দখলী উচ্ছেদ কৰিবৰ সময়ত চৰকাৰে উচ্ছেদ হোৱা লোকসকলৰ ভৱিষ্যতৰ কথা চিন্তা নকৰে। অৱশ্যে এইবাৰ চৰকাৰে দয়া পৰবশ হৈ দৈয়াং বনাঞ্চলৰ পৰা উচ্ছেদ হোৱা মানুহবোৰৰ কথা চিন্তা কৰিছে। তেওঁলোকক বেলেগ কোনো এঠাইত নিশ্চয় পুনসংস্থাপিত কৰা হ'ব; কিন্তু ক'ত কৰা হ'ব সেই বিষয়ে চৰকাৰে এতিয়াও কোনো সিদ্ধান্ত লোৱা নাই। অহা অক্টোবৰ মাহতহে এই বিষয়ে কিবা এটা ঠিক কৰা হ'ব। মাজত এই দুমাহ সময় মানুহবোৰৰ কি গতি হ'ব— সেই সম্পৰ্কে চিন্তা কৰিবলৈ চৰকাৰৰ কোনো দায়িত্ব নাই।

এই মাটিহীন গৃহহীন মানুহবোৰে ভয়ংকৰ প্ৰতিকূল অৱস্থাৰ লগত যুদ্ধ কৰি বহু বছৰ ধৰি সেই অটব্য অৰণ্যানিৰ মাজত বাস কৰি আহিছে। তেওঁলোকে চখত তাত মৰিবলৈ যোৱা নাই, গৈছে প্ৰাণৰ দায়তেহে। তেন্তে সেই মানুহবোৰৰ পুনসৰ্ংস্থানৰ এটা বিকল্প ব্যৱস্থা হৈ নুঠালৈকে অন্ততঃ তিনি মাহমান সময় এই নিৰ্ম্মম উচ্ছেদ-অভিযান স্থগিত ৰাখিব পৰা নহ'লহেঁতেন নে? যি চৰকাৰে নিজকে দৰিদ্ৰৰ বন্ধু বুলি দাবী কৰে— মাটিহীনৰ মাটি আৰু অন্নহীনৰ অন্নৰ সমস্যা দূৰ কৰাটোৱেই যি চৰকাৰৰ ঘোষিত সংকল্প— সেই চৰকাৰে হাজাৰ হাজাৰ মানুহৰ অৱৰ্ণনীয় বিলৈ-বিপত্তিৰ প্ৰতি অন্ধ আৰু উদাসীন হৈ থাকি কোনখন মুখেৰে ক'ব

পাৰে যে দৰিদ্ৰৰ দুখ-কষ্ট দূৰ কৰাটোৱেই তেওঁলোকৰ সকলো কাম-কাজৰ একমাত্ৰ উদ্দেশ্য। চকুৰ আগত যন্ত্ৰণাত চেঙা-লুটি দি থকা মানুহৰ মৰণ-কাতৰ দৃশ্য দেখিও যি নেতাৰ মনত কৰুণাৰ উদ্ৰেক নহয়, সেই নেতাই আকৌ দৃষ্টিৰ অগোচৰৰ 'জনতা' নামৰ বস্তু-পিণ্ডৰ দুখ-দুৰ্দশাৰ কথা ভাবি দুশ্চিন্তাত বিনিদ্ৰ ৰজনী যাপন কৰে বুলি কোনোবাই বিশ্বাস কৰিব পাৰে নে?

দৈয়াং বনাঞ্চলৰ নিৰ্মম উচ্ছেদ-অভিযানৰ অসহায় বলী এই মানুহবোৰৰ ক্ষেত্ৰত চৰকাৰী দৃষ্টিভংগীৰ মাজত যি নিৰ্মম যান্ত্ৰিকতা ফুটি উঠিছে, সিয়েই প্ৰমাণ কৰে যে এই নেতাসকলৰ চিন্তা-ভাবনাক এতিয়াও প্ৰকৃত মানৱিক চেতনাই উদ্বুদ্ধ কৰিব পৰা নাই; মানুহ তেওঁলোকৰ কাৰণে একোটা বিমূৰ্ত ধাৰণা বা ৰাজনৈতিক ডবা-খেলৰ একোটা ক্ৰীড়নক মাত্ৰ।

মন্ত্ৰীৰ সম্পত্তি

কাশ্মীৰৰ এশজন সক্ৰিয় কংগ্ৰেছী সদস্যই এই বুলি দাবী কৰিছে যে মন্ত্ৰী আৰু উচ্চ-পদস্থ বিষয়াসকলৰ সম্পত্তিৰ বিষয়ে এটা নিৰপেক্ষ তদন্ত কৰিব লাগে, আৰু এই লোকসকলৰ দ্বাৰা অসৎভাৱে উপাৰ্জিত সকলো সম্পত্তি চৰকাৰে বাজেয়াপ্ত কৰিব লাগে। এই দাবীৰ ভিত্তিত এটা শক্তিশালী আন্দোলন গঢ়ি তুলিবলৈ তেওঁলোকে দলৰ ভিতৰতে বাৰ্ড ব্লক নাম দি এখন কমিটিও গঠন কৰিছে।

এই খবৰটোৱে আমাক অসমৰ কথা মনত পেলাই দিলে। এইবাৰৰ সৈতে আমি তৃতীয়বাৰৰ কাৰণে এই বিষয়টো উত্থাপিত কৰিলো। ৰাজহুৱা স্মৃতি অতি ক্ষণস্থায়ী বুলি এটা বদনাম আছে। সেই কাৰণে আমি ৰাইজক সোঁৱৰাই দিব খোজোঁ যে ১৯৭১ চনতেই অসমৰ যুৱক কংগ্ৰেছে মন্ত্ৰী আৰু এম. এল. এ. সকলে নিজৰ সম্পত্তিৰ হিচাপ দাখিল কৰিব লাগে বুলি এটা দাবী কৰিছিল। অৱশ্যে বৰ্তমানৰ চৰকাৰ গঠন হোৱাৰ পাচত যুৱক কংগ্ৰেছ এই বিষয়ে সম্পূৰ্ণ নীৰৱ। অসম মন্ত্ৰীসভাত যুৱক কংগ্ৰেছৰ প্ৰতিনিধি ৰাজ্যিক গৃহমন্ত্ৰী জনাই কেই মাহমানৰ আগতে বাতৰি কাকতত এটা বিবৃতি দিছিল যে মন্ত্ৰীসকলক তেওঁলোকৰ হিচাপ দাখিল কৰিবলৈ এটা নিৰ্দেশ দিয়া হৈছে। কিন্তু মাহৰ পাচত মাহ পাৰ হৈ গ'ল, সেই সম্পৰ্কে নতুনকৈ একো উচ্চ-বাচ্য আমি আৰু শুনিবলৈ পোৱা নাই। অসমৰ মন্ত্ৰীসকলৰ সম্পত্তিৰ পৰিমাণ ইমানেই বেছি হৈছে নে যে আজি ডেৰ বছৰ ধৰি অংক কৰিও তেওঁলোকে নিজৰ সম্পত্তিৰ তালিকাখনকে প্ৰস্তুত কৰিব পৰা নাই?

চৰকাৰে ৰাইজক এনেকুৱা বহুতো প্ৰতিশ্ৰুতি দিয়ে— যিবোৰ প্ৰতিশ্ৰুতি পালন কৰিবলৈ নিশ্চয় কিছু সময়ৰ প্ৰয়োজন হয়। মন্ত্ৰীৰ সম্পত্তিৰ হিচাব দাখিল কৰাটো নিশ্চয় তেনে এটা সময়সাপেক্ষ কাম নহয়। তথাপিও যে সেই কাম আজিলৈকে কৰা হোৱা নাই— তাৰ দুটা মাত্ৰ কাৰণ হ'ব পাৰে— হয় মন্ত্ৰীসকলে নিজৰ সম্পত্তিৰ হিচাব ৰাজহুৱাভাৱে প্ৰকাশ কৰিলে তেওঁলোকৰ অনিষ্ট হোৱাৰ আশংকা আছে অথবা এই সামান্য কামটো কৰিবলৈকো চৰকাৰৰ প্ৰকৃত আন্তৰিকতাৰ অভাৱ। কাৰণটো যিয়েই নহওক— এই বিষয়ে কোনো সন্দেহ নাই যে চৰকাৰৰ এই প্ৰতিশ্ৰুতি ভংগ এটা অমাৰ্জনীয় ৰাজহুৱা প্ৰতাৰণাৰ বাহিৰে আন একো নহয়।

ভাৰতবৰ্ষত মন্ত্ৰী, বিষয়া আৰু ব্যৱসায়ীৰ গোপন মিতিৰালি এটা ডাঙৰ পাপচক্ৰত পৰিণত হৈছে। নিজৰ নিজৰ স্বাৰ্থৰ তাড়নাত তেওঁলোকে পৰস্পৰে পৰস্পৰক ৰক্ষণাবেক্ষণ দিয়ে; এই দুৰ্ভেদ্য পাপচক্ৰ

ভেদ কৰি ভিতৰত কি ঘটিছে জানিবলৈ বাইজৰ কোনো উপায় নাই। এনেকুৱা দুই-চাৰিটা উদাহৰণো আমাৰ হাতত পৰিছেহি— যিবোৰ ক্ষেত্ৰত মন্ত্ৰীয়ে উচ্চ-পদস্থ বিষয়াৰ বে-নামী ব্যৱসায়ৰ আৰু অসদোপাৰ্জনৰ কথা প্ৰমাণ-সহকাৰে জানিও সেই সকল বিষয়াৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা ল'বলৈ সাহস গোটাব পৰা নাই। নেতৃস্থানীয় কংগ্ৰেছী লোকে বিপুল পৰিমাণৰ ৰাজহুৱা ধনৰ অপ-ব্যৱহাৰ কৰাৰ কথা জানিও বৰ্তমানৰ চৰকাৰে কেৱল মাত্ৰ ৰাজনৈতিক বিবেচনাতে তেনে লোকক ৰক্ষণাবেক্ষণ দি থাকিবলগীয়া হৈছে। সকলো কথা দেখি-শুনি আমাৰ মনত এতিয়া এই ধাৰণাই বদ্ধমূল হৈ পৰিছে যে সমগ্ৰ চিষ্টেমটোৰ আমূল পৰিবৰ্তন নকৰালৈকে বিক্ষিপ্তভাৱে দুই-চাৰিজন বিষয়া বা মন্ত্ৰীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি দুৰ্নীতিৰ এই দৈত্যকায় সমস্যাৰ সমাধান কৰা কোনো পথেই সম্ভৱ নহয়।

সেই কথা বাৰু পিছলৈ হ'ব। সদ্যহতে কাশ্মীৰৰ আৰ্হি অনুসৰণ কৰি অসমৰ যুৱ কংগ্ৰেছেও মন্ত্ৰী আৰু বিষয়াৰ সম্পত্তিৰ হিচাব পৰীক্ষা কৰাৰ দাবীত নতুনকৈ এটা শক্তিশালী আন্দোলন গঢ়ি তুলিব নোৱাৰেনে? সেই আশাও বোধহয় মৰিচিকাৰ সন্ধান— কাৰণ সম্পূৰ্ণ বিশ্বস্ত আৰু নিৰ্ভৰযোগ্য এটা সূত্ৰৰ পৰা জানিব পৰা গৈছে যে যুৱক কংগ্ৰেছৰ পুঁজিত জমা থকা প্ৰায় ৪৬ হাজাৰ টকাৰ ভিতৰত ১২ হাজাৰ টকা ক'ৰ পৰা বা কাৰ পৰা সংগ্ৰহ কৰা হৈছিল সেই কথা প্ৰকাশ কৰিবলৈ যুৱ-কংগ্ৰেছৰ কৰ্ম-কৰ্তাসকল অসম্মত হৈছে। বেজৰ যেতিয়া নিজৰ নাকতেই খৰ, তেওঁ আৰু আনক কি চিকিৎসা কৰিব।

প্ৰধান মন্ত্ৰী হোৱাৰ যোগ্যতা

উইনষ্টন চাৰ্চিলে হাৰ্বাৰ্ট হেনৰি এস্কুইথৰ জীৱনী প্ৰসংগত এঠাইত লিখিছে— "ৰাষ্ট্ৰ পৰিচালনা সম্পৰ্কীয় কথাত তেওঁ আছিল অতি নিৰ্মম; এই নিৰ্মমতাৰ অবিহনে কোনেও ডাঙৰ কামত হাত দিব নোৱাৰে। ১৯০৮ চনত তেওঁ মোক মন্ত্ৰী হিচাবে নিয়োগ কৰিবৰ সময়ত গ্লেডষ্টোনৰ এষাৰ উক্তি দোহাৰি মোক কৈছিল— "প্ৰধানমন্ত্ৰী হোৱাৰ প্ৰথম যোগ্যতা হ'ল এয়েই যে তেওঁ এজন ভাল কচাই হ'ব লাগিব। মোৰ মন্ত্ৰীসভাৰ কেবাজনো সদস্যক এতিয়ালৈ কুঠাৰেৰে আঘাত কৰি আহিছোঁ।"— কথা মতেই কাম, এস্কুইথে কেবাজনো মন্ত্ৰীক মন্ত্ৰীসভাৰ পৰা খহাই দিলে। সতীৰ্থসকলৰ প্ৰতি তেওঁ সদায় অনুগত আছিল, কিন্তু সেইবুলি যেতিয়া সময় আহিছিল আৰু ৰাজহুৱা স্বাৰ্থই তেনে কাম কৰিবলৈ তেওঁক বাধ্য কৰিছিল, তেনে পৰিস্থিতিত তেওঁ তেওঁৰ তেনে বন্ধুসকলক চিৰকালৰ বাবে পদচ্যুত কৰিবলৈ বিন্দুমাত্ৰও ইতস্ততঃ কৰা নাছিল। ইয়াৰ পাচতো তেওঁলোকৰ মাজত ব্যক্তিগত বন্ধুত্ব হয়তো অক্ষুণ্ণ ৰৈছিল, কিন্তু ৰাজনৈতিক সম্পৰ্ক চিৰকালৰ কাৰণে ইতি পৰিছিল। কিন্তু ইয়াকে নকৰাকৈ ৰাষ্ট্ৰ শাসন কৰা যায় কেনেকৈ?

স্থিতাৱস্থাৰ অৱসান ঃ পৰিবৰ্তনৰ সূচনা

সংশয়, উদ্বেগ, উদ্দীপনা আৰু তৰ্ক-বিতৰ্ক সমূহৰ মাজত যোৱা পহিলা নবেম্বৰৰ পৰা অসমত ধান-চাউলৰ ব্যৱসায়, সম্পূৰ্ণৰূপে চৰকাৰৰ হাতলৈ নিয়া হৈছে। অসমৰ মুখ্যমন্ত্ৰীয়ে ঠিকেই কৈছে যে দেখাত এটা সামান্য কথা হ'ব পাৰে, কিন্তু ইয়াৰ মাজত নিহিত আছে এক বিৰাট পৰিবৰ্তনৰ সম্ভাৱনা। বণিয়া অৰ্থনীতিয়ে ইমান দিনে জনসাধাৰণৰ দৈনন্দিন জীৱন নিয়ন্ত্ৰিত কৰি আহিছে, চৰকাৰৰ এই কাৰ্যৰ দ্বাৰা তাৰ মূলতে আঘাত কৰিবলৈ বিচৰা হৈছে। এই কাৰ্যসূচী সফল কৰি তুলিব পাৰিলে সমাজবাদৰ এটা প্ৰধান চৰ্ত পূৰণ কৰিব পৰা হ'ব আৰু তাৰ লগে লগে ৰাজ্যখনৰ অৰ্থনীতিক আৰু মানুহৰ দৃষ্টিভংগীত এটা বৈপ্লবীক পৰিবৰ্তনৰ সূচনা হ'ব। যিসকল লোকে স্থিতাৱস্থাৰ অৱসান বিচাৰে আৰু পৰিবৰ্তনৰ সূচনা হোৱা দেখিবলৈ আশা কৰে, তেনেকুৱা কোনো লোকেই চৰকাৰৰ এই কাৰ্যসূচীৰ প্ৰতি আকুণ্ঠ সমৰ্থন আৰু সহযোগিতা আগ নবঢ়োৱাকৈ থাকিব নোৱাৰে। বহুতে অসম চৰকাৰৰ এই কাৰ্য দুঃসাহসিক বুলি অভিহিত কৰিছে। কিন্তু দুঃসাহসৰ অবিহনে আমাৰ নিচিনা এখন স্থবিৰ আৰু স্থিতাৱস্থাবাদী সমাজত কোনেও কোনো পৰিবৰ্তনৰ সূচনা কৰিবলৈ আশা কৰিব নোৱাৰে। পানীত নামিবলৈ ভয় কৰি কোনেও যেনেকৈ সাঁতোৰ শিকিব আশা কৰিব নোৱাৰে, তেনেকৈ পৰিবৰ্তন বিমুখ প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ বিৰোধিতা বা চক্ৰান্তলৈ ভয় কৰি নিচেষ্ট হৈ থাকিও কোনেও যুগ-জীৰ্ণ স্থিতাৱস্থাৰ অৱসান ঘটাব নোৱাৰে। ব্যৰ্থতাৰ ভয়ত আৰু ন্যস্ত স্বাৰ্থৰ বিৰোধিতাৰ ওচৰত নতি স্বীকাৰ কৰি স্থিতাৱস্থাকে কামুৰি থাকি ৰাইজৰ ক্ষমতাৰ আসন নিৰাপদ কৰি ৰখাতকৈ এটা শৎ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ দুঃসাহস দেখুৱাই পৰাজয় বৰণ কৰাও হাজাৰ গুণে বেছি গৌৰৱৰ কথা। কাৰণ কেৱল এনে দুঃসাহসেহে সমাজত নতুন পৰিবৰ্তনৰ পথ মুকলি কৰিব পাৰে।

অসমত চৰকাৰী ধান-সংগ্ৰহ একো নতুন কথা নহয়। যোৱা বহু বছৰ ধৰি এই ব্যৱস্থা চলি আহিছে। এইবাৰ নতুন কথা হ'ব এইটোৱে যে আগতে ধান-সংগ্ৰহকাৰী মূল অনুষ্ঠান দুটাই ব্যক্তিগত ব্যৱসায়ৰ যোগেদি ধান সংগ্ৰহ কৰিছিল। এইবাৰ এইবোৰকে কৰা হ'ব সমবায় অনুষ্ঠানৰ যোগেদি। সেইদৰে বিতৰণৰ ক্ষেত্ৰত মধ্য-স্বত্ব ভোগী ৬১৩ জন ব্যৱসায়ীক উচ্ছেদ কৰি সমগ্ৰ বিতৰণ ব্যৱস্থা সমবায় সমিতি আৰু ১১০০০ সুলভ মূল্যৰ বস্তু বিতৰকৰ হাতত অৰ্পণ কৰা হ'ব। ৰাইজৰ দ্বাৰা নিয়ন্ত্ৰিত চৰকাৰৰ এই কাৰ্যৰ দ্বাৰা যদি পোনপটীয়াকৈ কোনোবা ক্ষতিগ্ৰস্ত হয়, তেন্তে— এই ৬১৩ জন ব্যক্তিগত ব্যৱসায়ীহে ক্ষতিগ্ৰস্ত হ'ব। Socially irresponsible অৰ্থাৎ সামাজিক দায়িত্বহীন, লাভখোৰ, বণিয়া অৰ্থনীতিৰ পৰিবৰ্তনৰ প্ৰতীক সংখ্যাত এইসকল লোক নগণ্য হ'ব পাৰে, কিন্তু তেওঁলোকৰ অৰ্থনীতিৰ প্ৰভাৱ আৰু তেওঁলোকৰ আশ্ৰয়-পুষ্ট মানুহৰ সংখ্যা তেনেই উলাই কৰিবলগীয়া নহয়। তদুপৰি তেওঁলোকৰ আটাইতকৈ ডাঙৰ মিত্ৰ হ'ল আমাৰ সমাজৰ সংৰক্ষণ-মূল আৰু পৰিবৰ্তন বিৰোধী মনোভাৱ। স্থিতাৱস্থা মানেই আশা-দায়ক নহওক কিয়, আমাৰ মনুহে সমস্যাৰ অৱসান ঘটাই নতুন পথত খোজ দিবলৈ অতি ভয় কৰে। যিকোনো পৰিবৰ্তনৰ প্ৰতি তেওঁলোকৰ এই মজ্জাগত ভিতি বা আতংকেই হ'ল আমাৰ সামাজিক পুনৰ্বিন্যাসৰ কামত আটাইতকৈ ডাঙৰ বাধা। সমাজৰ এই পৰিবৰ্তন-বিমুখ আৰু স্থানু-ধৰ্মী মনোভাৱৰ সুযোগ লৈয়েই মাত্ৰ মুষ্টিমেয় কেইজনমান

ব্যক্তিগত ব্যৱসায়ীয়ে ৰাজ্যখনৰ লাখ লাখ মানুহৰ মঙ্গল সাধন কৰিব পৰা এটা বৈপ্লৱিক ব্যৱস্থাৰ বিৰোধিতা কৰি তাক ব্যৰ্থ কৰি দিবলৈ প্ৰয়াস পাইছে। কিন্তু সৰ্বসাধাৰণ ৰাইজে শীতল মগজেৰে এই কথা চিন্তা কৰি চোৱা উচিত যে তেওঁলোকে যদি এটা গণতান্ত্ৰিক চৰকাৰৰ সম্পূৰ্ণ সমৰ্থন আৰু সক্ৰিয় সহযোগিতা লাভ কৰিও মাত্ৰ এই ৬০০ জন ব্যক্তিগত ব্যৱসায়ীৰ অৰ্থনৈতিক শোষণ বন্ধ কৰিব নোৱাৰে, তেন্তে তেওঁলোকে শান্তিপূৰ্ণ আৰু নিয়মতান্ত্ৰিক উপায়েৰে দেশত কোনো দিনেই সমাজবাদ স্থাপন কৰিবলৈ আশা কৰিব নোৱাৰে। সমাজলৈ পৰিৱৰ্তন আহিবই, কিন্তু তেতিয়া সি আহিব বিপ্লৱৰ ৰক্তাক্ত পথেৰে।

অৱশ্যে যিসকল লোকে চৰকাৰৰ এই নতুন কাৰ্য্য-ব্যৱস্থাৰ প্ৰতি সংশয়ৰ মনোভাব পোষণ কৰিছে, তেওঁলোক সকলোৱেই ন্যস্ত-স্বাৰ্থৰ দালাল বুলি ভবাটো উচিত নহয়। ভাত মুঠিয়েই মানুহৰ জীৱন আৰু চৰকাৰৰ এইবাৰ এই ভাত মুঠিৰে সম্পূৰ্ণ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিছে। চৰকাৰী প্ৰশাসন-ব্যৱস্থা বা আমোলাতন্ত্ৰৰ কৰ্ম-দক্ষতা আৰু সততা সম্পৰ্কে জনসাধাৰণৰ অভিজ্ঞতা ইমান বেছি তিক্ত আৰু হতাশজনক যে বহুত মানুহে চৰকাৰী ব্যৱসায় কেনেবাকৈ ব্যৰ্থ হ'লে চাউল মুঠি যোগাৰ কৰাৰ কোনো বিকল্প ব্যৱস্থা নাথাকিব বুলি আশংকা কৰিহে দুশ্চিন্তাত উদ্বিগ্ন হৈ উঠিছে। তেওঁলোকৰ এই উদ্বিগ্নতা চৰকাৰৰ নীতিৰ প্ৰতি প্ৰতিবাদৰ লক্ষণ নহয়, বৰং ই তেওঁলোকৰ বাস্তৱ অভিজ্ঞতাৰ পৰা ওপজা এটা অতি স্বাভাৱিক প্ৰতিক্ৰিয়া মাত্ৰ। গতিকে চৰকাৰে তেওঁলোকক বিৰুদ্ধবাদী ন্যস্ত-স্বাৰ্থৰ লগত একে শাৰীতে নথৈ বৰং তেওঁলোকৰ উদ্বিগ্নতাৰ কাৰণ সহানুভূতি-সহকাৰে উপলব্ধি কৰিবলৈ আৰু নিজৰ কৰ্ম-দক্ষতাৰ দ্বাৰাই তেওঁলোকৰ আস্থা অৰ্জন কৰিবলৈ চেষ্টা কৰা উচিত। চৰকাৰে যি নতুন কাৰ্য্য-ব্যৱস্থা হাতত লৈছে, তাৰ লগত এক কোটি মানুহৰ জীৱন-মৰণৰ প্ৰশ্ন জড়িত হৈ আছে। গতিকে এই ক্ষেত্ৰত সামান্যতম গাফিলতি বা দুৰ্নীতি দেখুৱা যি কোনো লোকৰ বিৰুদ্ধেই চৰকাৰে কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিবলৈ কুণ্ঠিত হ'ব নালাগিব। চৰকাৰে সম্প্ৰতি দুৰ্নীতিৰ বিৰুদ্ধে যি অভিযান আৰম্ভ কৰিছে, সি আমাক কিছু পৰিমাণে আশান্বিত কৰিছে। এই প্ৰচেষ্টা অধিক সবল, ব্যাপক আৰু ক্ষিপ্ৰতৰ কৰি তুলিলে ধান-চাউলৰ ব্যৱসায়ত বিধি-পথালি দিব পৰা দুৰ্নীতিমূলক কাৰ্য্য-কলাপো চৰকাৰে দমন কৰিব নোৱাৰাৰ কাৰণ নাই।

চৰকাৰে যি দীৰ্ঘ-ম্যাদী পৰিকল্পনা হাতত লৈছে, সি এটা অতি মহৎ আৰু সুন্দৰ স্বপ্ন। তাক ঠিকেত পৰিণত কৰিব পাৰিলে সি ৰাজ্যখনৰ শতকৰা ৯০ জন মানুহ বাস কৰা গ্ৰামাঞ্চলৰ অৰ্থনীতিক নতুন প্ৰাণ-শক্তিৰে জীৱন্ত কৰি তুলিব পাৰিব। গড় হিচাপে তিনি হুজাৰটা পৰিয়ালৰ কাৰণে একোখনকৈ গোটেই অসমত ৬৬৩ খন সমবায় সমিতি গঠন কৰা হৈছে। সম্প্ৰতি যিভাৱে ব্যৱস্থা কৰা হৈছে, তাৰ ফলত ৰাজ্যখনৰ কোনো এটা পৰিয়ালেই এদিন আগতে বা পাচত সমবায় সমিতিৰ সদস্য নোহোৱাকৈ থাকিব নোৱাৰিব। এই বছৰ এই সমবায় সমিতিবোৰে কেৱল ধান-চাউলৰ ব্যৱসায় কৰি অভিজ্ঞতা অৰ্জন কৰিব। এই বছৰ এই ব্যৱসায় সফল হ'লে অহা বছৰ বা তাৰ পাচৰ বছৰৰ পৰা ক্ৰমে ক্ৰমে এই সমিতিবোৰে চেনি, কেৰাচিন তেল, নিমখ, লোক-বস্ত্ৰ আদি ৰাইজৰ নিত্য-ব্যৱহাৰ্য্য সকলো বস্তুৰে ব্যৱসায় নিজৰ হাতলৈ নিব। ক্ৰমে ক্ৰমে এই সমিতিবোৰ বহুমুখী সমবায় সমিতিত পৰিণত হ'ব। খেতিয়কে নিজৰ সকলো উৎপন্ন বস্তু এই সমবায় সমিতিবোৰক বিক্ৰী কৰিব আৰু নিজৰ প্ৰয়োজনীয় সকলো নিত্য-ব্যৱহাৰ্য্য বস্তু সুলভ আৰু নিয়ন্ত্ৰিত মূল্যত সমবায় ভাণ্ডাৰৰ পৰা কিনিব পাৰিব। সমবায় সমিতিবোৰৰ যোগেদিয়েই খেতিয়কে ঋণ, বীজ, সাৰ আৰু খেতিৰ অন্যান্য সঁজুলি পোৱাৰ ব্যৱস্থা হ'ব। বহুমুখী সমবায় সমিতিবোৰ হৈ উঠিব জনসাধাৰণৰ বিপদৰ বন্ধু আৰু তেওঁলোকৰ জীৱনৰ অবিচ্ছেদ্য অংগ। ৰাজ্যখনৰ প্ৰতিজন নাগৰিককে

সামৰি লোৱা এই সমবায় সমিতিবোৰে নিত্য-ব্যৱহাৰ্য্য সামগ্ৰীৰ অবাধ যোগান সুনিশ্চিত কৰি তুলিব, মূল্যমান সুস্থিৰ কৰি ৰাখিব, বিত্তহীন দৰিদ্ৰ খেতিয়কক সুদখোৰ মহাজনৰ কবলৰ পৰা মুক্ত কৰিব, তেওঁলোকৰ আৰ্থিক অনিশ্চয়তাৰ অৱসান ঘটাব, আৰু ৰাজ্যখনৰ অৰ্থনীতিৰ এটা প্ৰধান চাবি-কাঠি তেওঁলোকৰ হাতলৈ আনি দিব।

বহুতেই হয়তো ক'ব যে ই কেৱল এটা স্বপ্ন। কিন্তু মহৎ স্বপ্ন নেদেখাকৈ মহৎ কাৰ্য্যত হাত দিয়াৰ কথা কোনোবাই কল্পনা কৰিব পাৰেনে? তদুপৰি ইয়াতকৈ ডাঙৰ স্বপ্নকো মানুহৰ চেষ্টাই দিঠকত পৰিণত কৰাটো সম্ভৱ কৰি তুলিছে। নিজে নিষ্ক্ৰীয় হৈ থাকি দূৰৰ পৰা কেৱল আনৰ সমালোচনা কৰা মানুহে সমাজৰ কোনো কল্যাণ সাধন কৰিব নোৱাৰে। চৰকাৰৰ কাৰ্য্য-ব্যৱস্থাক সম্পূৰ্ণভাৱে সমৰ্থন কৰাৰ সুযোগ খুব কমেই পোৱা যায়। কিন্তু অসম চৰকাৰৰ এই কাৰ্য্যসূচীক আমি সম্পূৰ্ণৰূপে সমৰ্থন কৰিছোঁ। বহুত বিচাৰ-বিশ্লেষণ কৰি আমাৰ মনত দৃঢ় প্ৰত্যয় জন্মিছে যে এই কাৰ্য্যসূচী সফল হৈ উঠিলে ৰাজ্যখনৰ অৰ্থনীতিত নতুন প্ৰাণ সঞ্চাৰ হ'ব আৰু ই ভৱিষ্যতলৈ অধিক বৈপ্লৱিক পৰিবৰ্তনৰ পথ সুগম কৰি তুলিব। গতিকে অসমৰ জনসাধাৰণে এই কাৰ্য্যসূচী সফল কৰি তুলিবলৈ চৰকাৰৰ লগত সৰ্বতো-প্ৰকাৰে সহযোগিতা কৰাটো এটা ডাঙৰ নৈতিক কৰ্তব্য বুলি আমি ভাবোঁ। এই কাৰ্য্যসূচী যদি বিফল হয়, তেন্তে সি হয়তো শ্ৰীশৰৎ সিংহৰ চৰকাৰৰ এটা ডাঙৰ ৰাজনৈতিক পৰাজয় হ'ব, আৰু তাৰ ফলত তেওঁলোক ক্ষমতাচ্যুত হ'ব লগাও হ'ব পাৰে। কিন্তু এটা জাতিৰ জীৱনত কেইজনমান ৰাজনীতিজ্ঞৰ ব্যক্তিগত পৰাজয় বা ক্ষমতাচ্যুতি নিচেই তুচ্ছ কথা। কিন্তু এই কাৰ্য্যসূচী বিফল হ'লে আটাইতকৈ ডাঙৰ পৰাজয় হ'ব অসমৰ সমগ্ৰ জনসাধাৰণৰ। কাৰণ সি প্ৰমাণ কৰিব যে চৰকাৰৰ পূৰ্ণ সহায়-সমৰ্থন লাভ কৰিও অসমৰ জনসাধাৰণে মাত্ৰ ৬০০ জন ব্যক্তিগত ব্যৱসায়ীৰ অৰ্থনৈতিক শোষণ আৰু লাভখোৰ অৰ্থনীতিৰ অন্ত পেলাব নোৱাৰিলে। জনসাধাৰণৰ এই পৰাজয়ে লাভখোৰ আৰু শোষণকাৰী বণিয়া অৰ্থনীতিক নতুন আয়ুস দিব, আৰু ইয়াৰ পাচত আন কোনো চৰকাৰেই জনসাধাৰণৰ কাৰণে মঙ্গলজনক নতুন সমাজবাদী ব্যৱস্থা হাতত ল'বলৈ সহজে সাহস নকৰিব। গতিকে ধান-চাউলৰ চৰকাৰী ব্যৱসায় মানুহে কোৱা মতে, শ্ৰীশৰত সিংহৰ কাৰণে অগ্নীপৰীক্ষা নহয়। সি এটা ডাঙৰ অগ্নি-পৰীক্ষা অসমৰ সমগ্ৰ জনসাধাৰণৰ কাৰণেহে। তেওঁ লোকে স্থিতাৱস্থাৰ পুতিগন্ধময় বোকাত লেটি লৈ থাকিব, নে নতুন জীৱনৰ পথত খোজ পেলাবলৈ সাহস কৰি ওলাই আহিব— এই প্ৰশ্নৰ উত্তৰ তেওঁলোকে ঠিক কৰি ল'ব লাগিব।

সাপ্তাহিক নীলাচল, ২৫৩ সংখ্যা ঃ ১৪ নৱেম্বৰ, ১৯৭৩

পেট্ৰলিয়াম সভ্যতা

হাজাৰ হাজাৰ বছৰ ধৰি মানৱ সভ্যতাৰ প্ৰধান পৰিবহন আছিল ঘোঁৰা আৰু পাল-তৰা জাহাজ। দিগ্বিজয়ী অশ্বাৰোহী বীৰ আৰু সপ্ত-সমুদ্ৰৰ সাউদৰ বাহিৰে আন সকলো মানুহৰ বাহিৰে ই আছিল এখন স্থানুজগত। মিচৰৰ পিৰামিডৰ পৰা আৰম্ভ কৰি আগ্ৰাৰ তাজমহললৈকে মানুহে তেতিয়াও সভ্যতাৰ অবিনাশী কীৰ্তি-সৌধ নিৰ্মাণ কৰিছিল, কিন্তু এই সকলোবোৰ সম্ভৱ কৰি তুলিছিল কেৱল ক্ৰীতদাসৰ পশুবৎ পৰিশ্ৰমে। প্ৰকৃতিৰ অপৰিমেয় শক্তিৰ সঁচাৰ কাঠি বিচাৰি নোপোৱা সেই যুগত বেছি ভাগ মানুহেই আছিল কেৱল ভাৰ-বাহী পশু। বাষ্পচালিত জাহাজ আবিষ্কাৰ হোৱাৰ আগতেও মানুহে পালতৰা জাহাজত উঠি সপ্ত-সমুদ্ৰ চলাথ কৰিছিল, কিন্তু সেই জাহাজ চালিত হৈছিল মানুহৰ তেজেৰে। জাহাজ চলোৱা নাবিকৰ জীৱন ইমান কষ্টকৰ আছিল যে অমানুষিক পৰিশ্ৰমত তেওঁলোক মাখিৰ দৰে মৰিছিল, তেওঁলোকক জাহাজ চলাবলৈ বাধ্য কৰিছিল কেৱল লৌহ-শৃংখল আৰু নাবিকৰ চাবুকৰ কোবে।

ঊনৈশ শতিকাৰ যুগান্তকাৰী বৈজ্ঞানিক আবিষ্কাৰ কিছুমানে এই সুদীৰ্ঘ অন্ধকাৰ যুগৰ অৱসান ঘটাই মানৱ সভ্যতাৰ নতুন যুগৰ সূচনা কৰিলে। এই এটা মাত্ৰ শতাব্দীৰ ভিতৰতে মানুহৰ জীৱন-ধাৰা, উৎপাদন কৌশল আৰু পাৰস্পৰিক সম্পৰ্কত ইমান বেছি পৰিবৰ্তন হ'ল— যিখিনি পৰিবৰ্তন ৰোমান সাম্ৰাজ্যৰ পতনৰ পাচৰ পৰা প্ৰায় দুহাজাৰ বছৰতো হোৱা নাছিল। একে আষাৰতে ক'বলৈ গ'লে এই পৰিবৰ্তনৰ আনিছিল পৰিবহন আৰু যোগাযোগৰ ক্ষেত্ৰত হোৱা যান্ত্ৰিক যুগৰ সূচনাই। আধুনিক যুগৰ প্ৰধান লক্ষ্য হ'ল গতি আৰু মানুহে এই নতুন গতিবেগ লাভ কৰিলে প্ৰকৃতিৰ শক্তিসমূহক বশীভূত কৰি। পৰিবহনৰ ক্ষেত্ৰত বাষ্পচালিত কল আৰু ইণ্টাৰনেল কম্বাশ্যন ইঞ্জিনৰ আবিষ্কাৰে মানুহক ঘোঁৰা আৰু পালতৰা জাহাজৰ মন্থৰ গতিৰ পৰা মুক্তি দিলে আৰু অনাতাঁৰ টেলিগ্ৰাফিয়ে মানুহক মুক্ত কৰিলে পৰিবহন-নিৰ্ভৰ যোগাযোগৰ সীমাবদ্ধতাৰ পৰা। পৰিবহন আৰু যোগাযোগৰ ক্ষেত্ৰত ঘটা এই যুগান্তকাৰী বিপ্লৱে মাত্ৰ ডেৰ শ বছৰৰ ভিতৰতে হাজাৰ হাজাৰ বছৰৰ স্থানু জগতখনক চিনিব নোৱাৰাকৈ সলনি কৰি পেলালে।

কয়লা আৰু তেল— এই দুটা বস্তুৱেই হ'ল আধুনিক যান্ত্ৰিক সভ্যতাৰ প্ৰধান চালিকা শক্তি। শিল্প বিপ্লৱে কয়লাক মানৱ সভ্যতাৰ এটা অপৰিহাৰ্য্য সামগ্ৰীত পৰিণত কৰিলে। ঠিক সেইদৰে ইণ্টাৰনেল কম্বাশ্যন ইঞ্জিনৰ আবিষ্কাৰেও তেলক এনে এটা গুৰুত্বপূৰ্ণ সামগ্ৰীত পৰিণত কৰিলে— যাৰ অবিহনে আজি আধুনিক জীৱনৰ ৰথৰ চকৰি মুহূৰ্ততে অচল হৈ জীৱনৰ গতি বন্ধ কৰি দিব পাৰে। তেলৰ অবিহনে আধুনিক জীৱনত কি বিপৰ্য্যয়ৰ সৃষ্টি হ'ব পাৰে— এটা মাত্ৰ কথাৰ পৰাই তাক বুজিব পাৰি। আধুনিক যান্ত্ৰিক সভ্যতা সচল হৈ থাকিবৰ কাৰণে সৰ্বমুঠ যিমানখিনি শক্তিৰ (Power) প্ৰয়োজন হয়, তাৰ শতকৰা ৪০ ভাগেই যোগন দিয়ে তেলে। আনহাতে, ভূগৰ্ভত যিমান তেল জমা হৈ আছে, তাৰ শতকৰা ৬০ ভাগেই আছে আৰৱ দেশসমূহৰ মৰুভূমিৰ বালিৰ তলত। ঔদ্যোগিক ক্ষেত্ৰত আৰৱ দেশসমূহেই পৃথিৱীৰ আটাইতকৈ অনুন্নত অঞ্চল; অথচ প্ৰকৃতিৰ এনেকুৱাই পৰিহাস যে আধুনিক পেট্ৰলিয়াম সভ্যতাৰ চাবি-কাঠিটো আছে এই আৰৱ দেশবোৰৰ হাততেই। ফলত আজি আৰৱ দেশবোৰে তেল নিদিওঁ বুলি কোৱাৰ লগে লগে সমগ্ৰ

সভ্যজগতৰ হৃৎ-কম্প হ'ব ধৰিছে, আধুনিক যন্ত্রসভ্যতাৰ ৰথচক্র অচল হৈ যোৱাৰ উপক্ৰম হৈছে।

কয়লা আৰু তেল আদি প্রকৃতিৰ সম্পদবোৰৰ ভাণ্ডাৰ অক্ষয় নহয়; এদিন সি নিঃশেষ হৈ যোৱাৰ অৱশ্যম্ভাৱী। মানুহে যি ধোঁৱাখুলীয়াভাৱে সম্প্রতি এই বস্তুবোৰৰ ব্যৱহাৰ কৰিবলৈ ধৰিছে, তাৰ ফলত অহা ২৫ বছৰৰ পৰা এশ বছৰৰ ভিতৰত ভূ-গৰ্ভত সঞ্চিত সমস্ত প্রজ্বালক-দ্রব্য নিঃশেষ হৈ আধুনিক যান্ত্রিক সভ্যতাৰ অবসান ঘটিব বুলি বহুতো দূৰদর্শী বিজ্ঞানীয়ে ভৱিষ্যদ্বাণী কৰি আহিছে। কিন্তু মানুহে সেই সাৱধান-বাণীলৈ কর্ণপাত কৰাৰ প্রয়োজন দেখা নাই। তাৰ এটা কাৰণ হ'ব পাৰে বিজ্ঞানৰ অন্তহীন উদ্ভাৱনী-শক্তিৰ ওপৰত মানুহৰ অন্ধবিশ্বাস। বেছিভাগ মানুহেই মনে মনে বিশ্বাস কৰে যে কয়লা আৰু তেল শেষ হয়মানে বিজ্ঞানে নিশ্চয় এটা বিকল্প শক্তিৰ উৎস বিচাৰি উলিয়াব। সেই আশা অৰ্থহীন নহ'বও পাৰে, কিন্তু লগতে এই সম্ভাৱনাও নোহোৱা নহয় যে প্রজ্বালকৰ অভাৱত বৰ্তমানৰ যান্ত্রিক সভ্যতাৰ গতি বন্ধ হৈ মানুহ আকৌ এবাৰ অতীতৰ মন্থৰ যুগলৈ ঘূৰি যাব। সভ্যতা সদায় কেৱল ঋৈখিক অগ্ৰগতিত আগ নাবাঢ়ে। বহুতো ঐতিহাসিকে সভ্যতাৰ একো একোটা ঊৰ্দ্ধমুখী বিকাশক সাগৰৰ ঢৌৰ লগত তুলনা কৰে। বতাহৰ অনুকূল আন্দোলনত সভ্যতাৰ একো একোটা বিৰাট ঢৌ উঠে, তাৰ পাচতে সি ভাগি পৰি সাগৰত মিলি যায়। বৰ্তমান সভ্যতাৰো সেই গতিয়েই হ'ব নে নহয় তাক কেৱল সময়েহে ক'ব পাৰিব।

আধুনিক যন্ত্র-সভ্যতাৰ দ্রুত বেগে ক্লান্ত কৰি তোলা মানুহে মাজে মাজে অতীতৰ মন্থৰ যুগৰ শান্তি আৰু সমাহিতিৰ কাৰণে এটা ব্যাকুল তৃষ্ণা অনুভৱ নকৰা নহয়। জন ৰাস্কিনৰ পৰা আৰম্ভ কৰি গান্ধীলৈকে বহুতো ভাবুকেই মানুহৰ মনত অতীতৰ 'হেৰোৱা স্বৰ্গ'ৰ স্মৃতি জগাই তুলিবলৈ চেষ্টা কৰিছে। অচৱাল্ড স্পেঙ্গলাৰে আধুনিক সভ্যতাক তুলনা কৰিছিল দেহৰ সুখ-সম্ভোগৰ বিনিময়ত নিজৰ আত্মা বিক্ৰী কৰা ফষ্টৰ লগত। কাৰ্লাইলে বিচাৰিছিল- মানুহে যেন বজ্র-কঠিন হাতৰ মুঠিৰ আঘাতেৰে আধুনিক যন্ত্র-সভ্যতাক ভাঙি মষিমূৰ কৰি দিয়ক। টমাচ জেফাৰচনে ঘোঁৰাকেই মানব জীৱনৰ এটা অভিশাপ বুলি গণ্য কৰিছিল, কাৰণ তেওঁৰ মতে ঘোঁৰাই মানুহক খোজ কঢ়াৰ স্বাস্থ্যদায়ক আনন্দৰ পৰা বঞ্চিত কৰিছে। ঘোঁৰাৰ তুলনাত মটৰ-গাড়ী তেওঁৰ কাৰণে নিশ্চয় আছিল এটা অকল্পনীয় ভয়ংকৰ অভিশাপ। অৱশ্যে এনে ধৰণৰ ৰোমাণ্টিক ভাব-বিলাসিতা বা আদর্শবাদিতা নথকা বহুতো নীৰস বস্তুবাদীয়েও মটৰ-গাড়ী আৰু কল-কাৰখানাক অবিমিশ্র আশীৰ্বাদ বুলি গণ্য নকৰে। আন্দ্রে চাখাৰভে মানব সভ্যতাৰ কাৰণে যি পাঁচটা ভয়ংকৰ বিপদৰ নাম উল্লেখ কৰিছে, তাৰে এটা হ'ল বায়ুমণ্ডলৰ দূষিতকৰণ। এই দূষিতকৰণৰ এটা প্ৰধান কাৰণ হ'ল মটৰ-গাড়ী আৰু কল-কাৰখানা। দেখা গৈছে যে আধুনিক উন্নত সভ্যতাই নিজৰ বুকুতেই আত্ম-বিনাশৰ বীজ বহন কৰিছে।

সি যি কি নহওক, সাম্প্রতিক তেল-সংকটৰ পৰা যদি মানব সমাজে উচিত শিক্ষা আহৰণ কৰিব পাৰে, তেন্তে সি অভিশাপৰ ছদ্মবেশত আশীৰ্বাদ বুলিও বিবেচিত হ'ব পাৰে। প্রথম কথা মানুহৰ ধোঁৱাখুলীয়া স্বভাৱ এৰি প্রাকৃতিক সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী হ'বলৈ শিকিব লাগিব। তাৰ কাৰণে পেট্ৰ'লৰ ব্যৱহাৰৰ ক্ষেত্ৰত সমগ্র মানব জাতিয়ে চিৰস্থায়ী ৰেচনিং ব্যৱস্থা প্রবর্তন কৰাৰ প্ৰয়োজন। বায়ুমণ্ডলৰ দূষিতকৰণৰ পৰা হাত সাৰিবলৈকে সিও এটা অন্যতম উপায়। এই সংকটৰ দ্বিতীয় শিক্ষা হ'ল এয়েই যে আন্তর্জাতিক বিবাদৰ মীমাংসাৰ কাৰণে যুদ্ধ এটা অচল ব্যৱস্থাত পৰিণত হৈছে। সমগ্র মানব সমাজ আজি পৰস্পৰে পৰস্পৰৰ ওপৰত এনেভাৱে নির্ভৰশীল যে আন্তর্জাতিক প্রতিযোগিতাৰ ভিত্তিত এক বিশ্ব-চৰকাৰ প্রতিষ্ঠা কৰাৰ অবিহনে মানব জাতিৰ সমুখত আন কোনো উপায় নাই।

১৯৯০ চনৰ ভাৰত

২৬ নবেম্বৰ ১৯৯০ চন। ভাৰতৰ দ্বিতীয়গৰাকী মহিলা প্ৰধান মন্ত্ৰীয়ে জাতিৰ উদ্দেশ্যে এটা অনাতাঁৰ ভাষণ দি ৰাতিপুৱাটো আৰম্ভ কৰিলে। তেওঁৰ বক্তব্য হ'ল— 'বাধা-বিঘিনি যিমানেই নাহক— সকলো অতিক্ৰম কৰি দেশে চৰম লক্ষ্যত উপনীত হ'বই, সহজ অৰ্থত সমাজবাদ প্ৰতিষ্ঠা হ'বই।

প্ৰধান মন্ত্ৰীয়ে তেওঁৰ ভাষণ প্ৰথমে দিলে ইংৰাজীত, তাৰ পিচত হিন্দীত, তাৰ পিচত সংবিধানৰ দ্বাৰ স্বীকৃত চৌধটা আঞ্চলিক ভাষাত। দেশৰ ভাষা সমস্যা সমাধান কৰিবলৈ ১৯৮৮ চনত সংবিধানৰ সংশোধনী কৰা হৈছিল। সেই সংশোধনীতে এনে ব্যৱস্থা কৰা হ'ল— যাৰ ফলত ইংৰাজীকে ধৰি চৌধটা আঞ্চলিক ভাষাত ব্যুৎপত্তি থকা লোকৰ বাহিৰে আন কোনেও সংসদৰ কাৰণে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰা হ'ল। গতিকে এতিয়া সংসদৰ সদস্য মাত্ৰেই ইংৰাজী আৰু চৌধতা আঞ্চলিক ভাষাত গৰগৰাই বক্তৃতা দিব পাৰে।

জন্ম-নিয়ন্ত্ৰণৰ কাৰণে উদ্‌গনিমূলক বঁটা হিচাবে যোৱাকালি প্ৰতিজন নাগৰিককে একোটা টেলিভিচন চেট দিয়া হয়। একোটা পৰিয়ালৰ একাধিক টেলিভিচন চেট থাকে। মানুহে টেলিভিচনত প্ৰধানমন্ত্ৰীৰ ভাষণ খুব উপভোগ কৰিলে, আৰু তেওঁৰ মুখত সেইদিনাৰ নতুন শ্লোগানটো শুনিবলৈ কাণপাতি ৰ'ল। আজিকালি প্ৰধান মন্ত্ৰীয়ে প্ৰত্যেকদিনে একোটাকৈ নতুন শ্লোগান দিয়ে। সেইদিনা তেওঁ শ্লোগান দিলে— 'আৰ্থিক প্ৰতিবন্ধক হটাও।'

প্ৰধানমন্ত্ৰীৰ ভাষণ আৰু শ্লোগান ৰোমন্থন কৰি কৰি মানুহবোৰে নিতান্ত অনিচ্ছাৰে ৰেডিঅ' আৰু টেলিভিচন বন্ধ কৰি দিলে। ভাৰতীয় গণৰাজ্যৰ নাগৰিকসকলক প্ৰতিদিনে যিমানখিনি বিজুলী-শক্তি দিয়া হয়, তাৰে প্ৰথমটো অংশ সেই কাৰ্য্যসূচী শেষ হোৱাৰ লগে লগে অন্ত পৰিল। দেশত তীব্ৰ বিজুলী-সংকটে দেখা দিছে আৰু সাম্প্ৰতিক নাটনিৰ কথা বিবেচনা কৰি জনসাধাৰণক দিনে মাত্ৰ তিনি ঘণ্টাকৈহে বিজুলী শক্তিৰ যোগান ধৰা হৈছে। দ্বিতীয়বাৰ বিজুলী-সোঁত আহিব গধূলি ৬১/২ আৰু ৭১/২ বজাৰ ভিতৰত। সেই সময়তে টেলিভিচন কেন্দ্ৰবোৰে ১৯৬০-৭০ চনৰ পুৰণি চিনেমা দেখুৱায়। সামাজিক উদ্দেশ্য-প্ৰণোদিত ছবিবোৰহে টেলিভিচনত প্ৰদৰ্শনৰ কাৰণে বছা হয়।

গধূলি টেলিভিচন কাৰ্য্যসূচী শেষ হোৱাৰ লগে লগে নিশ্চিদ্ৰ অন্ধকাৰে সমগ্ৰ দেশখন গ্ৰাস কৰি ধৰিলে। সেই সময়ছোৱাত দেশৰ দূৰ-দূৰণিৰ কোনো কোনো ঠাইত কেইজনমান উগ্ৰপন্থী বিপ্লৱীৰ বাহিৰে আন কোনো বোধহয় জাগি থকা নাছিল। আনবোৰ মানুহ যেতিয়া শুই পৰিছিল, তেতিয়া তেওঁলোকে শত্ৰুক চৰম আঘাত হানিবৰ সময় হৈছে নে নাই সেই বিষয়ে তৰ্ক কৰি আৰু বিপ্লৱৰ ভৱিষ্যত কৰ্ম-পন্থা আলোচনা কৰি সাৰ পাই আছিল।

আকৌ ৰাতিপুৱা হ'ল। প্ৰতিদিনৰ নিচিনাকৈ সেইদিনাও বাতৰি কাকতবোৰ দেৰিকৈ আহিল। যোৱা ত্ৰিশ বছৰ ধৰি দেশত নিউজপ্ৰিণ্টৰ নাটনি চলিছে, ফলত দৈনিক বাতৰি-কাকত আৰু আলোচনীবোৰৰ আকৃতি-প্ৰকৃতি চিনিব নোৱাৰাকৈ সলনি হৈ পৰিছে। এতিয়া বাতৰি কাকতবোৰ হাতেৰে চাইক্ল'ষ্টাইল কৰি

উলিওৱা হয়। বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত কেৱল বিজ্ঞাপনহে ছপা কৰা হয়। আনবোৰ পৃষ্ঠাত বাতৰি আৰু সম্পাদকীয় প্ৰবন্ধ নিয়াৰিকৈ সজোৱা হয়।

প্ৰধানমন্ত্ৰীৰ বক্তব্য শুনা আৰু বাতৰি কাকত পঢ়া শেষ কৰি মানুহবোৰ অফিচলৈ যাবলৈ সাজু হ'ল। দুবছৰৰ আগতে চৰকাৰে '৫০ কোটি মানুহৰ কাৰণে কৰ্ম-সংস্থান আঁচনি' নামেৰে এখন নতুন আঁচনি লৈছিল। সেই আঁচনি কাৰ্য্যকৰী কৰাৰ ফলত এতিয়া দেশৰ সমগ্ৰ জন-সংখ্যাৰ শতকৰা ৭৫ ভাগেই চৰকাৰৰ বিভিন্ন বিভাগত চাকৰি কৰে।

দীৰ্ঘদিন ধৰি চলা তেল-সংকটৰ ফলত দুবছৰৰ আগতে ৰাজহুৱা পৰিবহন ব্যৱস্থাও বন্ধ কৰি দিয়া হ'ল। এতিয়া দেশৰ সকলো মানুহেই ধীৰে-শাঁতে খোজ কাঢ়ি অফিচলৈ যায়। দেশৰ উঠি অহা চামৰ ডেকা-গাভৰু আৰু ল'ৰা-ছোৱালীবোৰে মটৰ গাড়ী আৰু বাচৰ নাম শুনিছে, চকুৰে কেতিয়াও দেখা নাই। পেট্ৰলচালিত সকলো যান-বাহন ১৯৮০ চনত সাগৰত পেলাই দিয়া হ'ল।

অৱশ্যে ধনী মানুহবোৰে এতিয়াও খোজ কাঢ়ি নুফুৰে, তেওঁলোকে ঘোঁৰাৰ গাড়ী আৰু গৰুৰ গাড়ী ব্যৱহাৰ কৰে। যিবোৰ মানুহৰ এনেকুৱা বিলাসিতা কৰিবলৈ সামৰ্থ নাই, তেওঁলোকে সু-সজ্জিত দোলাত উঠি ভ্ৰমণ কৰে। এই দোলাবোৰ চাৰিটা মানুহে ভাৰ বৈ নিয়ে। প্ৰথমতে প্ৰধান মন্ত্ৰীয়েই দোলাত উঠি অফিচলৈ গৈ এটা আৰ্হি দাঙি ধৰে। তেতিয়া বাতৰি কাকতবোৰে মন্তব্য কৰিছিল যে ব্যয়-সংকোচ কৰাৰ ক্ষেত্ৰত প্ৰধান মন্ত্ৰীয়ে এটা প্ৰশংসনীয় আৰ্হি দেখুৱাইছে। যিহেতু দোলা কঢ়িয়াবৰ কাৰণে মানুহৰ দৰকাৰ হয়, গতিকে প্ৰধান মন্ত্ৰীৰ মতে দোলাৰ ব্যৱহাৰ দেশৰ নিবনুৱা সমস্যাৰ অন্ত পেলাব। অৱশ্যে [illegible] মৰ্য্যাদাৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিয়ে ভ্ৰমণৰ কাৰণে হাতী ব্যৱহাৰ কৰে।

ৰঙা বালি-শিলৰ দ্বাৰা নিৰ্মিত চৰকাৰী অফিচবোৰত আমোলাসকলে ভাবৰ আদান-প্ৰদান কৰি [illegible] দেশখন দিনে দিনে ক'লৈ গৈছে সেই কথা আলোচনা কৰি দিনটোৰ সময়খিনি অতিবাহিত কৰে। ৰঙা-ফিটাৰ আধিপত্যৰ অন্ত পেলাবলৈ চৰকাৰে কেইবছৰমানৰ আগতে ফাইল বান্ধিবলৈ সেউজীয়া ফিটা ব্যৱহাৰ কৰাৰ নিয়ম প্ৰৱৰ্তন কৰিছিল। কিন্তু তথাপিতো চৰকাৰে দাবী কৰিব নোখোজে যে দেশৰ পৰা দুৰ্নীতি সম্পূৰ্ণৰূপে দূৰীভূত হৈছে। অলপতে ৰাতিপুৱা দিয়া এটা ৰেডিঅ'-ভাষণত প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিছিল যে দেশত এতিয়াও অৱশিষ্ট থকা দুৰ্নীতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ সৰ্বোচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত বিচাৰপতি এজনৰ নেতৃত্বত এখন কমিটী পাতি দিয়া হ'ব। আন বহুতো কথাৰ দৰেই যোৱা কেইবছৰমানত দুৰ্নীতিৰ ৰূপো যথেষ্ট সলনি হৈছে। আজিকালি বিষয়াসকলে নগদ টকা নলয়, কেৱল বস্তু-বেহানিহে লয়।

দেশৰ অভ্যন্তৰীণ ব্যৱসায়ৰ ক্ষেত্ৰতো সেই একেই কথা। টকাৰ আগৰ সমান মূল্য বা আদৰ এতিয়া আৰু নাই। তাৰ পৰিবৰ্তে দেশত এক নতুন ধৰণৰ বিনিময়-প্ৰথাৰ প্ৰচলন হৈছে। বিৰোধী দলবোৰে ক'ব খোজে যে টকাৰ মূল্য অতি-মাত্ৰাত হ্ৰাস হোৱাৰ কাৰণেই এনে অৱস্থা হ'বলৈ পাইছে। কিন্তু চৰকাৰে উত্তৰত কয় যে পূৰ্ণ সমাজবাদৰ পথত ই এটা অগ্ৰৱৰ্ত্তী পদক্ষেপহে মাথোন। দুবস্তা চেনিৰ দাম এটা মজলীয়া বিধৰ ঘোঁৰাৰ দামৰ সমান। দুবস্তা চাউলৰ দাম ত্ৰিশৰ পৰা চল্লিশ টিন বনস্পতিৰ দামৰ সমান। বজাৰত মাখন আৰু ৰুটি নামৰ কোনো বস্তুৰ নাম পৰ্য্যন্ত কোনেও শুনি পোৱা নাই।

ৰন্ধা-বঢ়াৰ কাৰণে মানুহে আজিকালি খৰি ব্যৱহাৰ কৰে, কাৰণ চৰকাৰে ঘোষণা কৰিছে যে কেৰাচিন আৰু গেচৰ ব্যৱহাৰৰ ফলত সমাজবাদৰ পথত অগ্ৰগতি মন্থৰ হৈ যাব পাৰে। খৰি কাৰণে গছ কাটি খাণ্ডাং কৰাৰ ফলত দেশৰ হাবি-বননি প্ৰায় নোহোৱাই হৈ আহিল। কিয়নো চৰকাৰৰ মতে যিখন দেশে অতি দ্ৰুত

গতিৰে এখন আদৰ্শ ৰাষ্ট্ৰ হোৱাৰ পথত আগবাঢ়িছে, তেনে এখন দেশৰ পক্ষে হাবি-বননিৰ বিলাসিতা শোভা নাপায়। ১৯৯০ চনত এনেকুৱা হ'ল দেশৰ অৰ্থনৈতিক অবস্থা আৰু মানুহৰ দৈনন্দিন জীৱন-যাত্ৰা।

দেশৰ শিক্ষা-ব্যৱস্থাতো যথেষ্ট পৰিৱৰ্তন ঘটিছে। এতিয়া আৰু ছাত্ৰসকলক অৰ্থনীতি, বিজ্ঞান, বুৰঞ্জী আদি বিষয়বোৰ পঢ়িবলৈ বাধ্য কৰা নহয়। যিহেতু দেশৰ প্ৰতিজন নাগৰিকেই এদিন নহয় এদিন কেৰাণী, সচিব, চেকচন অফিচাৰ আদি ৰূপে চৰকাৰী চাকৰি পাবই, সেই কাৰণে তেওঁলোকক কেৱল কেৰাণী হোৱাৰ উপযোগী কৰিহে কলেজত শিক্ষা দিয়া হয়। সেই শিক্ষাবোৰ হ'ল— কেনেকৈ এখন টেবুলৰ পৰা আন এখন টেবুললৈ ফাইল নিব লাগে, অতি জৰুৰী বিষয়ৰ ফাইলবোৰ কিমান দিন পেলাই থ'ব লাগে— ইত্যাদি। পৰীক্ষা-পদ্ধতিৰো সলনি কৰা হ'ল। এতিয়া একোজন পৰীক্ষাৰ্থীক একোটাকৈ কোঠা দিয়া হয়; তাত তেওঁ সকলো কিতাপ-পত্ৰ চাই-মেলি পৰীক্ষাৰ উত্তৰ লিখিব পাৰে। যি ছাত্ৰই যিমানেই আনৰ চকুত ধূলি দিব পাৰে আৰু ফাইল গাপ দি থৈ বেছি টকা আদায় কৰিব পাৰে, তেওঁ সিমানেই বেছি নম্বৰ পায়।

১৯৯০ চনত ঠিক এই ভাৱেই জাতীয় জীৱনৰ প্ৰতিটো কৰ্মক্ষেত্ৰ সু-বিন্যস্ত আৰু প্ৰণালীবদ্ধ কৰা হ'ল। উদ্দেশ্য হ'ল— আটাইতকৈ কম সময়ৰ ভিতৰত আটাইতকৈ বেছি সমাজবাদ স্থাপন।

অনাস্থা প্ৰস্তাৱ

অসম বিধান সভাৰ অলপতে হৈ যোৱা অধিৱেশনত মন্ত্ৰী-সভাৰ বিৰুদ্ধে এটা অনাস্থা প্ৰস্তাৱ উত্থাপন কৰা হৈছিল। অসমৰ বৰ্তমান চৰকাৰৰ প্ৰায় এৰৈশ মহীয়া কাৰ্য্য-কালত এইটোৱেই আছিল তেওঁলোকৰ বিৰুদ্ধে উত্থাপিত সৰ্ব-প্ৰথম অনাস্থা প্ৰস্তাৱ। শাসক দলৰ বিপুল সংখ্যা-গৰিষ্ঠতালৈ চাই কোনেও নিশ্চয় এই কথা আশা নকৰে যে অনাস্থা প্ৰস্তাৱৰ দ্বাৰাই চৰকাৰৰ পতন ঘটাব পৰা যাব। কিন্তু সেই বুলি অনাস্থা প্ৰস্তাৱৰ কোনো মূল্য নোহোৱা নহয়। অনাস্থা প্ৰস্তাৱৰ যোগেদি চৰকাৰৰ নানা ত্ৰুটি-বিচ্যুতিৰ সমালোচনা কৰিবলৈ, জনসাধাৰণৰ অনুভূতি ব্যক্ত কৰিবলৈ আৰু লগতে বিকল্প নীতি আৰু কাৰ্য্য-পদ্ধতিৰ পৰামৰ্শ ডাঙি ধৰিবলৈ বিৰোধী পক্ষই যিমানখিনি সুযোগ পায়, আন কোনো উপলক্ষতে সিমানখিনি সুযোগ পোৱা নাযায়। সেই ফালৰ পৰা আলোচ্য অনাস্থা প্ৰস্তাৱৰ ওপৰত হোৱা বিতৰ্ক আৰু আলোচনাৰ কাৰণে ৰাজ্যখনৰ সমগ্ৰ জনসাধাৰণে উদ্‌গ্ৰ কৌতূহলেৰে অপেক্ষা কৰি আছিল। আশা কৰা হৈছিল যে এই অনাস্থা প্ৰস্তাৱৰ যোগেদি চৰকাৰৰ যোৱা এৰৈশ মাহৰ নীতি আৰু কাৰ্য্যাৱলীৰ এটা পূৰ্ণাংগ বস্তুনিষ্ঠা মূল্যায়ন প্ৰকাশ পাব, আৰু লগতে ৰাজ্যখনৰ বিভিন্ন সমস্যাৰ সমাধানৰ কাৰণে বিৰোধী দলৰ সমালোচকসকলে কোনোবোৰ বিকল্প গঠনমূলক পৰামৰ্শও দাঙি ধৰিব। কিন্তু বাইজৰ সেই আশা পূৰ্ণ হ'ল বুলি ক'ব নোৱাৰি। বিৰোধী দলসমূহৰ আক্ৰমণে যিমানখিনি ধোঁৱা আৰু উত্তাপৰ সৃষ্টি কৰিলে সেই অনুপাতে নতুন পোহৰ [illegible] নোৱাৰিলে। আন কথাত ক'বলৈ গ'লে, বিৰোধী পক্ষই এটা ডাঙৰ সুযোগ নষ্ট কৰিলে।

অৱশ্যে এই কথা কোৱাৰ অৰ্থ এই নহয় যে বিৰোধী পক্ষৰ সকলো সমালোচনাই অথলে গৈছে, বা তেওঁলোকৰ বক্তব্যৰ মাজেদি ৰাইজৰ কোনো অনুভূতিয়ে ব্যক্ত হোৱা নাই। এই কথাও সঁচা নহয় যে চৰকাৰক সমালোচনা কৰিবলৈ বিশেষ কোনো স্থল নাই; যোৱা কেইমাহমানত জনসাধাৰণৰ দুখ-দুৰ্গতি অসম্ভৱভাৱে বৃদ্ধি পাইছে আৰু তাৰ কাৰণে সমগ্ৰ দেশ জুৰি দেখা দিয়া আৰ্থিক সংকটেই একমাত্ৰ দায়ী নহয়। চৰকাৰৰ নানা অকৰ্মণ্য আৰু প্ৰশাসনিক শিথিলতায়ো তাত ইন্ধন যোগাইছে। চৰকাৰৰ বিভিন্ন কৰ্মক্ষেত্ৰত দিগভ্ৰান্ততা, অকৰ্মণ্যতা আৰু স্বেচ্ছাকৃত কৰ্তব্যচ্যুতিও আগতকৈ উল্লেখযোগ্যভাৱে হ্ৰাস পোৱা নাই। অৱশ্যে এই কথা ঠিক যে বৰ্তমানৰ চৰকাৰে এটা পৰিবৰ্তন আনিবলৈ চেষ্টা কৰিছে। কিন্তু কেৱল প্ৰগতিশীল নীতি বা কাৰ্য্যসূচী ঘোষণা কৰিয়েই কোনো চৰকাৰে প্ৰশংসাৰ দাবী কৰিব নোৱাৰে; সেই নীতি কাৰ্য্যকৰী কৰিবৰ জোখাৰে প্ৰয়োজনীয় প্ৰশাসনিক সংগঠন আৰু গণ-উদ্দীপন গঢ়ি তোলাটোও তেওঁলোকৰ অৱশ্য পালনীয় কৰ্তব্য। সেই কৰ্তব্যত ব্যৰ্থ হ'লে তেওঁলোকে কঠোৰ সমালোচনাৰ সন্মুখীন হ'বলৈ প্ৰস্তুত থাকিব লাগিব। বিৰোধী দলৰ সমালোচনাত চৰকাৰৰ এইবোৰ ব্যৰ্থতাৰ সুস্পষ্ট সুসংহত ৰূপ বা তাৰ তথ্য-নিষ্ঠ বিশ্লেষণ ফুটি নুঠিল। নীতি আৰু প্ৰামাণ্য তথ্যৰ ভিত্তিত চৰকাৰক আক্ৰমণ কৰি চৰকাৰৰ বিবেক জাগ্ৰত কৰি তুলিবলৈ আৰু লগতে বিকল্প পথৰ সন্ধান দিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে বিৰোধী দলৰ সমালোচকসকলে সস্তীয়া নাটকীয়তাৰ আশ্ৰয়হে ল'লে বুলি ৰাইজৰ ধাৰণা হৈছে। ফলত অনাস্থা প্ৰস্তাৱৰ ওপৰত হোৱা বিতৰ্ক চিন্তা বা আদৰ্শৰ সংঘাত নহৈ প্ৰায় ব্যক্তিত্বৰ সংঘাতত পৰ্য্যবসিত হ'ল। তাৰ এটা

প্ৰধান কাৰণ এয়েই হ'ব পাৰে যে চৰকাৰৰ নেতি-বাচক সমালোচনা কৰাৰ বাহিৰে বিৰোধী পক্ষৰ নিজস্ব কোনো অৰ্থনৈতিক দৰ্শন বা বিকল্প সমাধান-সূত্ৰ নাই। ৰাল্‌ফ্‌ ইংগাৰচল নামৰ এজন লিখকে নেতিবাচক সমালোচনাৰ সমৰ্থনত কৈছিল যে তোমাৰ হাতত থকা টকাটো অচল বা বেয়া টকা বুলি মই ক'লো বুলিয়েই তাৰ বদলি তোমাক এটা ভাল টকা দিবলৈ মই বাধ্য নহওঁ। সাহিত্য সমালোচনাত বা জীৱনৰ অন্যান্য ক্ষেত্ৰত এই যুক্তি গ্ৰহণীয় হ'ব পাৰে, কিন্তু গণতান্ত্ৰিক সমাজ ব্যৱস্থাত বিৰোধী পক্ষৰ ভূমিকা লোৱা সমালোচকসকলে কেৱল এনে নেতিবাচক সমালোচনা কৰিয়েই কেতিয়াও অব্যাহিতি পাব নোৱাৰে। চৰকাৰৰ সমালোচনাৰ এটা প্ৰধান উদ্দেশ্য হোৱা উচিত এটা বিকল্প চৰকাৰ আৰু বিকল্প কৰ্ম-পন্থাৰ আভাস বা ৰূপ-ৰেখা দাঙ্গি ধৰা। বিৰোধী পক্ষই সেইটো কৰিব নোৱাৰালৈকে তেওঁলোকৰ সমালোচনা বন্ধ্যা হৈ ৰয়, আৰু সি চৰকাৰ বা জন-মানসৰ ওপৰত কোনো স্থায়ী প্ৰভাৱ পেলাব নোৱাৰে।

দুৰ্নীতি আমাৰ দেশৰ এটা ডাঙৰ সমস্যা আৰু অৰ্থনৈতিক বিকাশৰ পথত সি এটা প্ৰধান অন্তৰায়। গতিকে দুৰ্নীতিৰ ৰূপ উন্মোচিত কৰি দিয়াটো বিৰোধী পক্ষৰ এটা প্ৰধান কৰ্ত্তব্য। কিন্তু পাৰস্পৰিক পংক-নিক্ষেপৰ দ্বাৰাই দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ কৰা সম্ভৱ নহয়; একমাত্ৰ তথ্য-নিৰ্ভৰ প্ৰামাণ্য সমালোচনাৰ মাৰণাস্ত্ৰৰ দ্বাৰাইহে তাক সংহাৰ কৰিব পাৰি। সাধাৰণভাৱে বিৰোধী দলৰ আন এটা ডাঙৰ ব্যৰ্থতা হ'ল এয়েই যে সমালোচকৰ যি উচ্চ আৰু সন্দেহাতীত আদৰ্শবাদিতাই তেওঁলোকৰ বক্তব্যক এক শক্তিশালী নৈতিক মহিমা বা কৰ্তৃত্ব দান কৰে, তেওঁলোকৰ বহুতৰে নিজৰ আচৰণ আৰু কাৰ্য্যকলাপত সেই নৈতিক কৰ্তৃত্ব ফুটি উঠিছে বুলি জনসাধাৰণে অনুভৱ কৰিব পৰা নাই। জনসাধাৰণে কেৱল চৰকাৰৰ ওপৰতে চোকা নজৰ নাৰাখে, উভয়-পক্ষৰ জন-প্ৰতিনিধিৰ ওপৰতে তেওঁলোকে সেই চোকা নজৰ ৰাখে। যি সমালোচকে আনৰ বিবেক জাগ্ৰত কৰিব খোজে, তেওঁৰ নিজৰ বিবেক প্ৰথমে নিৰ্মল আৰু নিঃসংশয় হোৱাটো একান্ত প্ৰয়োজনীয়। ভাৰতৰ সম-সাময়িক ৰাজহুৱা জীৱনৰ এটা ডাঙৰ ট্ৰেজেডি এয়েই যে বেছিভাগ সমালোচকৰে নিজৰ বিবেক সম্পৰ্কে, নৈতিক কৰ্তৃত্ব সম্পৰ্কে জনসাধাৰণ সংশয়-মুক্ত নহয়। ফলত তেওঁলোকৰ সমালোচনাই স্থায়ী সদৰ্থক সুফল সৃষ্টি কৰিব নোৱাৰে আৰু আনৰ চৰিত্ৰ হননৰ সকলো প্ৰচেষ্টাই এইদৰে তেওঁলোকক প্ৰত্যাঘাত কৰাৰ সম্ভাৱনা অধিক হৈ পৰে।

সাপ্তাহিক নীলাচল, ২৫৯ সংখ্যা : ২৬ ডিচেম্বৰ, ১৯৭৩

প্ৰধান মন্ত্ৰীলৈ এখন মুকলি চিঠি

মাননীয় প্ৰধান মন্ত্ৰী,

দেশৰ অৱস্থা দেখি আমি ভয়ত পেপুৱা লাগিছোঁ, আৰু নিৰুপায় হৈ আপোনালৈ এই মুকলি চিঠিখন লিখিবলৈ বহিছোঁ। দেশ স্বাধীন হ'বৰ দিন ধৰি আমি অৰ্থাৎ দেশৰ ষাঠিভাগ দুখীয়া মানুহে এদিনৰ কাৰণেও সুদিনৰ মুখ দেখা নাই। জীৱনটো আমাৰ কাৰণে অন্তহীন দুৰ্য্যোগৰ এটা ভয়াবহ অমানিশা— যাৰ কেতিয়াও শেষ নাই। কিন্তু যোৱা কিছুদিন ধৰি অৱস্থা ক্ৰমে ক্ৰমে এনে হৈ আহিছে যে মহা-প্ৰলয়ৰ দিন কাষ চাপি আহিছে বুলিহে আমাৰ ধাৰণা হৈছে। দেশখন দেখোন চাৰিওফালে অচল হৈ পৰিছে। ৰেলগাড়ী নচলে, উৰা জাহাজ নচলে, মটৰ গাড়ী নচলে, টেলিগ্ৰাফ-টেলিফোন নচলে,— অৱশ্যে সেইবোৰ ডাঙৰ ডাঙৰ কথাৰ কাৰণে আমাৰ নিচিনা সৰু সৰু মানুহে মূৰ ঘমাই লাভ নাই। কিন্তু আমাৰ কলিজা কঁপিছে কেৱল এই কথা ভাবিহে যে আগত তিনি সাঁজৰ মূৰত যি এসাঁজ খাই আমি কোনোমতে প্ৰাণটো ৰাখি আছিলো, এতিয়া সেই সাঁজৰো ভিকাচন ভাগিবৰ উপক্ৰম হৈছে। যোৱা দুবছৰৰ ভিতৰত চাউল, দাইল, তেল, নিমখ আদি প্ৰাণ ৰক্ষাৰ কাৰণে প্ৰয়োজনীয় সকলো বস্তুৱেই হৰ-লুকী মায়া হোৱাৰ দৰে বজাৰৰ পৰা নোহোৱা হ'ল; যিখিনি আছে, তাক কিনি খোৱাৰ শক্তি দেশৰ দহ ভাগ মানুহৰো নাই। আমাৰ নিচিনা মানুহৰ যাৰ দৈনিক উপাৰ্জন গড় হিচাবে জন-মূৰি দুটকাও নহয়— তেনে মানুহে চাউলৰ কিলোত তিনি টকা, ডাইলৰ কিলোত তিনি টকা, চেনিৰ কিলোত পাঁচ টকা, মিঠাতেলৰ কিলোত দহ টকা, আলুৰ কিলোত কিনি খাব পাৰোঁ বুলি আপুনি কল্পনাতো ভাবিব পাৰেনে? তেনেহ'লে আমি কি খাই জীয়াই আছোঁ। মাননীয়া প্ৰধানমন্ত্ৰী, আমি জীৱনত কোনো দিনেই পেট ভৰাই খাবলৈ পোৱা নাছিলোঁ, ওৰে জীৱন ভোকৰ জুইত তিলে তিলে দগ্ধ হওঁতে পুৰুষানুক্ৰমে আমাৰ জীৱন পাৰ হৈ গৈছিল; কিন্তু সম্প্ৰতি আমাৰ অৱস্থা এনেহে হৈছে যে ভোকৰ যাত্ৰণাত ৰ'ব নোৱাৰি আপোনঘাতী হৈ মৰাৰ বাহিৰে আমাৰ বোধহয় আন কোনো উপায় নাই। তেতিয়া হ'লে বোধহয় আপোনাৰ এটা ডাঙৰ উপকাৰ হয়, কাৰণ তিনি বছৰৰ আগতে আপুনি দেশৰ পৰা 'গৰিবী হটাও' অৰ্থাৎ দৰিদ্ৰতা দূৰ কৰিবলৈ যি প্ৰতিজ্ঞা কৰিছিল, সেই প্ৰতিজ্ঞা ৰক্ষা পৰে। দেশৰ পৰা গৰিবেই যেতিয়া নিশ্চিহ্ন হৈ যাব, তেতিয়া গৰিবীৰ সমস্যা আৰু ক'ত থাকিব।

খাবলৈ নাপাই আমি হয়তো মৰি শেষ হ'ম, আৰু আপোনাৰো এটা ডাঙৰ মূৰ কামোৰণি দূৰ হ'ব। কিন্তু মৰাৰ আগতে আপোনাক এষাৰ কথা কৈ যাওঁ। দেশৰ সকলো মৰি শেষ হ'লেও মানুহৰ বিবেক ৰাতে নিৰ্মূল হৈ নাযায়, তাৰ কাৰণেই এইষাৰ কথা ক'ব লগা হ'ল। লিখা-পঢ়া জনা মানুহে কোৱা শুনিছোঁ, বিপ্লৱৰ পিছত চোভিয়েট ৰাচিয়তো বোলে এটা ডাঙৰ দুৰ্ভিক্ষ হৈছিল। এটুকুৰা ৰুটীৰ কাৰণে লাখ লাখ ভোকাৰ্ত্ত মানুহে চাৰিওফালে হাহাকাৰ কৰি মৰিছিল। অৱশেষত মানুহবোৰে ৰুটীৰ দাবী কৰিবলৈ ক্ৰেমলিনত লেনিনৰ ওচৰলৈ সমদল কৰি গ'ল। তাত গৈ তেওঁলোকে কি দেখিলে? দেখিলে ৰাচিয়াৰ নেতা আৰু ৰাষ্ট্ৰ-প্ৰধান লেনিনেও এটুকুৰা শুকান মুগাবৰণীয়া ৰুটী আৰু এপিয়লা ক'লা কফিৰে অৰ্থাৎ এজন দৰিদ্ৰতম মানুহে যি খায় তাৰেই দুপৰীয়াৰ আহাৰ কৰিবলৈ বহিছে। দৃশ্যটো দেখি মানুহবোৰৰ মুখৰ মাত হৰিল। বৰং

লেনিনৰো যদি এই অৱস্থা, তেন্তে মানুহবোৰে কাৰ বিৰুদ্ধে কাৰ ওচৰত ওজৰ কৰিব? দেশত যদি খাদ্য নাই, তেন্তে নেতা আৰু সাধাৰণ মানুহ, ধনী আৰু দুখীয়া সকলোৱেই নোখোৱাকৈ থাকিব, বা যি আছে তাকে সমানে ভাগ কৰি খাব। দৰিদ্ৰ জনতাৰ সুখ-দুখৰ সমভাগী নেতাৰ এই অপাৰ মমত্ববোধ আৰু মানবীয় আচৰণে ভোকাৰ্ত্ত মানুহবোৰৰ মনত জ্বালা মুহূৰ্ততে নোহোৱা কৰি দিলে। কষ্ট সহ্য কৰিবলৈ নতুনকৈ শক্তি আহৰণ কৰি সিহঁত ঘৰাঘৰি ঘূৰি গ'ল। আমি কিন্তু আমাৰ দেশত আকণ্ঠ ভোজন কৰি উগাৰৰ লগে লগে সমাজবাদৰ বাণী দিয়া নেতাসকলৰ পৰা এনে মানবীয় সহানুভূতি কেতিয়াবা পাইছোনে? মৰাৰ আগতে আপোনাৰ বিবেকৰ প্ৰতি এই প্ৰশ্নটো আমি এৰি থৈ গ'লোঁ।

সূৰ্য্যৰ মুখত সোপা দিবলৈ কাৰো সাধ্য নাই। আমি মূৰ্খ মানুহ হ'লেও দেশৰ কাণ্ড-কাৰখানা আমিও কিছু জানিবলৈ পাইছোঁ। দেশ স্বাধীন হ'বৰ দিন ধৰি বহু হাজাৰ কোটি টকা খৰচ কৰি চাৰিটাকৈ পাঁচ বছৰীয়া পৰিকল্পনা কৰা হ'ল। কোৱা হৈছিল যে এই আটাইবোৰ পৰিকল্পনাৰ একমাত্ৰ লক্ষ্য হ'ল অৰ্থনীতিৰ মূল নিয়ন্ত্ৰণ চৰকাৰৰ হাতত ৰাখি দেশৰ অৰ্থনৈতিক বিকাশৰ গতিক এনেভাৱে পৰিচালিত কৰা— যাতে ধনী-দুখীয়াৰ ব্যৱধান ক্ৰমাৎ হ্ৰাস পায় আৰু দৰিদ্ৰ জনসাধাৰণৰ জীৱনৰ মান ক্ৰমে ক্ৰমে উন্নত হয়। যিহেতু পৰিকল্পিত অৰ্থনীতিৰ আদৰ্শ সমাজবাদী দেশসমূহৰ পৰাই লোৱা হৈছে, গতিকে চাৰিটাকৈ পৰিকল্পনাৰ অন্ততঃ আমাৰ দেশো সমাজবাদৰ পথত অন্ততঃ এটা খোজ আগবাঢ়ি যাব লাগিছিল। কিন্তু আমাৰ দেশত পৰিকল্পনাই কি উদ্দেশ্য সাধন কৰিলে? পৰিকল্পনাই আমাৰ দেশত কেৱল এটা কাম কৰিলে— সেইটো হৈছে এই যে সি দেশৰ সকলো ধন-সম্পদ কেৱল এমুঠি ভাগ্যবান মানুহৰ হাতত পুঞ্জীভূত কৰি বাকী কোটি কোটি মানুহক দাৰিদ্ৰ্যৰ অন্ধকাৰ পাতাললৈ নিৰ্বাসিত কৰিলে। আপোনাৰ চৰকাৰী পৰিসংখ্যাৰ হিচাবত দেখুওৱা যোৱা বিশ বছৰত দেশৰ সৰ্বমুঠ সম্পদ কিমান বাঢ়িল, জন-মুৰি আয় কিমান বাঢ়িল, কল-কাৰখানা কিমান বাঢ়িল, ৰাজহুৱা খণ্ডত কিমান বেছি টকা বিনিয়োগ কৰা হ'ল সেইবোৰ হিচাবেৰে আমাৰ পেট নভৰে, তাৰ দ্বাৰা পৰিকল্পনাৰ কৃতকাৰ্য্যতা জুখিব নোৱাৰি। পৰিকল্পনাৰ কৃতকাৰ্য্যতাৰ একমাত্ৰ মাপকাঠি হ'ল— দেশৰ দৰিদ্ৰতম মানুহজনৰ পেটলৈ আগতকৈ এমুঠি ভাত বেছিকৈ গৈছেনে নাই, সি এডোখৰ কাপোৰ বেছিকৈ পিন্ধিবলৈ পাইছেনে নাই— সেইটোহে। আপুনি জানে— পৃথিবীৰ ভিতৰত ভাৰতৰ মানুহেই আটাইতকৈ কম খাই আধা-মৰা হৈ জীয়াই থাকে। বিশেষজ্ঞসকলে হিচাব কৰি উলিয়াইছেও যে মানুহ সুস্থ হৈ জীয়াই থাকিবলৈ হ'লে প্ৰতি দিনে নিম্নতম ২৫০০ কেলৰী যুক্ত আহাৰ খোৱাৰ প্ৰয়োজন হয়। বিলাতৰ মানুহে দিনে ৩২৭০ কেলৰী খায়, আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানুহে ৩১৫০ কেলৰী, কানাডাৰ মানুহে ৩১৪০ কেলৰী আৰু জাপানৰ মানুহে ২১১০ কেলৰী খাবলৈ পায় আৰু আমাৰ ভাৰতৰ মানুহৰ ভাগত গড় হিচাবে পৰে মাত্ৰ ১৮৮০ কেলৰী। এতিয়া আমি পৰিকল্পনাৰ কৃতকাৰ্য্যতাৰ জোখ ল'ম যোৱা বিশ বছৰত দুখীয়া ভাৰতীয় মানুহৰ খাদ্যত নতুনকৈ কেই কেলৰী যোগ হ'ল, তাৰ দ্বাৰাহে। পৰিকল্পনাত উন্নয়নৰ ফলত সৰ্বসাধাৰণ ভাৰতীয় মানুহৰ খাদ্যৰ পৰিমাণ বাঢ়িছে নে কমিছে? ১৯৬১ চনত প্ৰতিজন ভাৰতীয়ই গড় হিচাবে ৩৯৮.৭ গ্ৰাম আটা বা চাউল খাবলৈ পাইছিল; ১৯৭০ চনত সি ৩৯৪.৩ গ্ৰামলৈ হ্ৰাস পালে। ১৯৫৫ চনত প্ৰতিজন ভাৰতীয়ৰ ভাগত প্ৰোটিন পৰিছিল গড় হিচাবত ২.৫০ আউন্সকৈ; ১৯৬৭ চনত সি হ'লগৈ মাত্ৰ ১.৪৮ আউন্স। ১৯৬১ চনত প্ৰতিজন ভাৰতীয়ই দিনে গড় হিচাবে খাবলৈ পাইছিল ৬৯.১ গ্ৰামকৈ; ১৯৭০ চনত তাৰ পৰিমাণ হ্ৰাস পাই হ'লহি ৫০.৯ গ্ৰাম। ১৯৬০-৬১ চনত প্ৰতিজন ভাৰতীয়ৰ ভাগত খোৱা তেল পৰিছিল ৩.৬ কিলোগ্ৰাম; ১৯৭১ চনত সি ২.৬ কিলোগ্ৰামলৈ হ্ৰাস পালে। এই সকলোবোৰ হ'ল ১৯৭১ চন বা তাৰ আগৰ হিচাব। ১৯৭১ চনৰ পাচৰ পৰা খাদ্য-বস্তুৰ দাম

শতকৰা ২০ ভাগৰ পৰা ৫০ ভাগ পৰ্য্যন্ত বৃদ্ধি পাইছে; গতিকে সেই অনুপাতে দৰিদ্ৰ ভাৰতীয়ৰ কংকালৰ পানী-গাঁঠিত আৰু কিমান টান পৰিছে সেই কথা বহলাই কোৱাৰ নিশ্চয় কোনো প্ৰয়োজন নাই।

এয়েই হ'ল দুখীয়া মানুহৰ ভাগত পৰা পৰিকল্পনাৰ প্ৰসাদ। স্বাধীনতাৰ আৰম্ভণীতে সিহঁতে যি খাইছিল, তাৰ গত নতুনকৈ এটাও চাউলৰ খুদতো যোগ হোৱা নায়েই, বৰং দিনে দিনে তাৰ পৰিমাণ কমিব ধৰিছে। আনহাতে চাৰিটাকৈ পৰিকল্পনাই সৃষ্টি কৰা বিপুল পৰিমাণৰ ঘাটী বিত্তায়ন, মুদ্ৰাস্ফীতি, ক'লা টকা আৰু ক্ৰমবৰ্দ্ধমান মুনাফাৰ ফলত দেশৰ মুষ্টিমেয় ধনী শ্ৰেণীটোৰ অৰ্থনৈতিক ক্ষমতা যেনেকৈ বাঢ়িব লাগিছে, তেনেকৈ বাঢ়িব লাগিছে বিলাস সামগ্ৰীৰ চাহিদা, ভোগ-বিলাসৰ পৰিমাণ। দেশৰ সমস্ত উদ্যোগ যন্ত্ৰ আজি ধনী শ্ৰেণীটোৰ বিলাস সামগ্ৰীৰ চাহিদা পূৰণত ব্যস্ত; দুখীয়াৰ প্ৰয়োজনীয় মোটা কাপোৰ, ঔষধ, নিত্য ব্যৱহাৰ্য্য সামগ্ৰী তৈয়াৰ কৰিবলৈ সেই উদ্যোগসমূহৰ সময় নাই। পৃথিবীৰ কোনখন সমাজবাদী দেশত পৰিকল্পিত অৰ্থনীতিক এনেকৈ এমুঠি ধনী শ্ৰেণীৰ সেৱা-দাসী হিচাবে ব্যৱহাৰ কৰা হৈছে?

মই আপোনাক পৰিসংখ্যাৰ কথা বেছিকৈ নকওঁ; সেইবোৰ কথা মোতকৈ আপুনি বেছি ভালকৈ জানে। যিটো কথা আপুনি বোধহয় নাজানে, সেইটো হৈছে এই যে আমাৰ সম্পূৰ্ণৰূপে মোহ-ভংগ ঘটিছে। চৰকাৰৰ যি উন্নয়ন-প্ৰচেষ্টা আৰু পৰিকল্পনাই প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে দেশৰ সকলো ধন-সম্পদ মাত্ৰ কেই হাজাৰমান মানুহৰ হাতত জমা কৰেগৈ, দুখীয়া মানুহৰ নিত্য ব্যৱহাৰ্য্য চাউল-দাইল, তেল-নিমখৰ দাম কোবত কোবে বঢ়াই নি থাকে, ক্ৰমবৰ্দ্ধমান হাৰত কোটি কোটি নিবনুৱা আৰু কোটি কোটি নিৰক্ষৰ মানুহৰ সৃষ্টি কৰে, দুখীয়াৰ আহাৰ বস্ত্ৰৰ পৰিমাণ কমাই নি থাকে আৰু সেই অনুপাতে দুৰ্মূল্য বিলাস-সামগ্ৰীৰ চাহিদা আৰু উৎপাদন বাঢ়ি গৈ থাকে,— সেই উন্নয়ন-প্ৰচেষ্টা আৰু পৰিকল্পনাত আমাৰ আৰু অকণো আস্থা নাই।

আৰু কেইমাহমানৰ পাচত আপুনি ৫৫০০০ কোটি টকাৰ পঞ্চম পৰিকল্পনা আৰম্ভ কৰিব। যোৱা চাৰিটা পৰিকল্পনাৰ প্ৰত্যেক্‌টোৰ আৰম্ভণীতে দিয়া কোনো প্ৰতিশ্ৰুতিয়েই আপোনাসকলে ৰক্ষা কৰিব পৰা নাই। মৰুভূমিত মৰীচিকা খেদি খেদি তৃষ্ণাৰ্ত পথিকে যেনেকৈ অৱশেষত প্ৰাণ হেৰুৱায়, আমিও আজিকালি তেনেকৈ মায়া-মৃগ খেদি খেদি প্ৰাণ কণ্ঠগত হ'বৰ উপক্ৰম হৈছে, দাৰিদ্ৰ্যৰ পৰা মুক্তি পোৱাৰ নামত আমি আচলতে মৰীচিকাৰ পিচে পিচে খেদি ফুৰিছোঁ। আপুনি যদি পঞ্চম পৰিকল্পনা কৃতকাৰ্য্য কৰিব খোজে, তেন্তে সৰ্বপ্ৰথমে আপুনি কঠোৰ হাতেৰে মূল্য বৃদ্ধি নিয়ন্ত্ৰিত কৰি আমাৰ প্ৰাণ ৰক্ষাৰ ব্যৱস্থা কৰক। দেশৰ আৰ্থিক উন্নতি আৰু উৎপাদন বৃদ্ধি নিৰ্ভৰ কৰে মেহনতী মানুহৰ শ্ৰম-ক্ষমতাৰ ওপৰতহে; পেচাদাৰী ৰাজনীতিজ্ঞৰ বাগ্মীতা বা ভেৰোণীয়া অৰ্থনীতিজ্ঞৰ পৰিসংখ্যাৰ ফুলজাৰীৰ ওপৰত নহয়। খাদ্যৰ কৃত্ৰিম নাটনি আৰু আকাশস্পৰ্শী মূল্য বৃদ্ধিৰ দ্বাৰা মেহনতী মানুহৰ শ্ৰম ক্ষমতা নষ্ট কৰি আপুনি পঞ্চম বা ষষ্ঠ কিয়— এশটা পৰিকল্পনাও কৃতকাৰ্য্য কৰিব নোৱাৰে। দ্বিতীয়তে, আপুনি এনে ব্যৱস্থা কৰক যাতে দেশৰ নেতাসকলে আৰু ৰঘুমলা সদৃশ সুবিধাভোগী শ্ৰেণীটোৱে কেৱল বাণী-বিতৰণ কৰাতে ক্ষান্ত নাথাকি লেনিনৰ নিচিনাকৈ দৰিদ্ৰ জনতাৰ দুখ-যন্ত্ৰণাৰ সমভাগী হ'বলৈ আগবাঢ়ি আহে; কেৱল তেতিয়াহে আমাৰ দৰে হৃত-সৰ্বস্ব মানুহবোৰে ভৱিষ্যতৰ সুদিনৰ আশাত বৰ্তমানৰ দুখ-কষ্ট সহ্য কৰিবলৈ কিছু প্ৰেৰণা পাব পাৰে। কিন্তু তাতোকৈ ডাঙৰ কথা— আপুনি দেশৰ সমগ্ৰ উন্নয়ন-প্ৰচেষ্টাকে এনে এটা নতুন ৰূপ দিবলৈ চেষ্টা কৰক— যাতে দেশৰ কোটি কোটি শোষিত দৰিদ্ৰই নিজকে কেৱল হালৰ বলদ বুলি নাভাবি এক প্ৰকৃত অৰ্থনৈতিক মুক্তি সংগ্ৰামৰ একোজন সৈনিক বুলি নিজকে গণ্য কৰিব পাৰে। ইতি—

আপোনাৰ সদিচ্ছা প্ৰাৰ্থী

'গৰিব'

স্বাধীনতাৰ শৃংখল

১৯৭৩ চনৰ মৰ্মন্তুদ অভিজ্ঞতাই দেশ-বাসীৰ মনত আজি কেইটামান মৌলিক প্ৰশ্ন জগাই তুলিছে। আমি এই ভয়ংকৰ অৱস্থাত আহি পৰিলো কিয়? ইয়াৰ পৰা পৰিত্ৰাণৰ পথ কি? যোৱা চাব্বিশ বছৰে আমি যি পথ অনুসৰণ কৰি আহিছো, সেই পথেৰে আগবাঢ়ি গৈ থাকিলেই আমি অন্ধকাৰ সুৰংগৰ শেষত সূৰ্য্যালোক দেখিবলৈ পামনে? সমাজৰ এমুঠিমান ভাগ্যবান আৰু সুবিধা-ভোগী মানুহৰ বাহিৰে দেশৰ কোটি কোটি অভিশপ্ত মানুহে আজি আৰু বোধহয় সেই আশা নকৰে। গুজৰাটত আজি যি ভূমিকম্পৰ গৰ্জন শুনা গৈছে, তাৰ মাজত ধ্বনিত হৈছে প্ৰবঞ্চিত মানুহৰ চৰম হতাশাৰ আৰ্তনাদ। উমাশঙ্কৰ দীক্ষিতৰ নিচিনা লোকসকলে গুজৰাটৰ ঘটনাবলীত বিৰোধী পক্ষৰ চক্ৰান্ত আবিষ্কাৰ কৰি আত্ম-প্ৰসাদ লাভ কৰিব পাৰে, কিন্তু প্ৰত্যেক হৃদয়-বান আৰু বিবেক-বান মানুহেই জানে, ই হ'ল সহ্যৰ শেষ সীমাত আহি উপনীত হোৱা ভোকাতুৰ মানুহৰ স্বতঃস্ফূৰ্ত উন্মত্ত প্ৰতিবাদ। গুজৰাটৰ ক্ৰুদ্ধ জনতাই আজি কেৱল দোকান-বজাৰেই জ্বলাই দি ছাঁই কৰি দিয়া নাই, তাৰ লগতে ছাঁই কৰি দিছে ভাৰতৰ ভেজাল গণতন্ত্ৰৰ ওপৰত থকা তেওঁলোকৰ শেষ বিশ্বাসখিনি পৰ্য্যন্ত। ১৯৭৩ চনৰ অভূতপূৰ্ব খৰাং বতৰৰ ফলত সেই ৰাজ্যত যেতিয়া বাদামৰ উৎপাদন পাঁচ লাখ টনৰ পৰা মাত্ৰ এক লাখ টনলৈ নামিছিল, তেতিয়াও তাত বাদাম তেলৰ দাম লিটাৰত চাৰি টকাৰপৰা মাত্ৰ সাত টকালৈ বৃদ্ধি পাইছিল; কিন্তু সেই বছৰ তাত বাদামৰ উৎপাদন চাৰি লাখ টনৰ অধিক হোৱা সত্ত্বেও বাদাম তেলৰ দাম উঠিছে লিটাৰত তেৰ টকা পৰ্য্যন্ত। ইয়াৰ পিছতো তাৰ মানুহে বিশ্বাস কৰিবনে যে কেৱল উৎপাদন হ্ৰাস হোৱাৰ কাৰণেই বস্তুৰ দাম বৃদ্ধি পাইছে? তেওঁলোকে সন্দেহ কৰিবলৈ বাধ্য নহ'বনে যে এই অভূতপূৰ্ব মূল্য বৃদ্ধিৰ মূলতে এক ব্যৱসায়ী পাপ-চক্ৰৰ ভয়ংকৰ ষড়যন্ত্ৰ — যাৰ বিৰুদ্ধে ঠিয় হ'বলৈ দেশৰ চৰকাৰৰ শক্তি আৰু সাহস নাই? চৰকাৰে ক্লান্তিহীনভাৱে ঘোষণা কৰিছে যে বাংলাদেশৰ যুদ্ধ আৰু খৰাং-পীড়িত অঞ্চলৰ ত্ৰাণ কাৰ্য্যৰ কাৰণে চৰকাৰে ১০০০ কোটি টকা খৰচ কৰিব লগা হোৱাৰ কাৰণেই দেশত এক অভূতপূৰ্ব অৰ্থনৈতিক দুৰ্য্যোগৰ সৃষ্টি হ'ল; কিন্তু তাৰ লগতে চৰকাৰে এই কথাও কিয় স্বীকাৰ নকৰে যে বাংলাদেশৰ যুদ্ধৰ নামত চৰকাৰে দুখীয়া ৰাইজৰ ওপৰত নানা কৰ-কাটল লগাই ১২০০ কোটি টকা সংগ্ৰহ কৰিছিল? যি চৰকাৰে নিজৰ অকৰ্মণ্যতা ঢাকিবলৈ নানা অসত্য আৰু অৰ্ধ সত্যৰ আশ্ৰয় লয়, সেই চৰকাৰক দেশৰ জনতাই কেতিয়াও ক্ষমা নকৰে।

দেশৰ অৱস্থাই আজি আমাক এটা মৌলিক প্ৰশ্নৰ সন্মুখীন কৰাই দিছে। সেই প্ৰশ্নটো হ'ল ঃ আমাৰ এই সৰ্বব্যাপী ব্যৰ্থতাৰ মূল কাৰণ কি? সেই প্ৰশ্নৰ এটা মাত্ৰ সহজ উত্তৰ নিশ্চয় নাই। কিন্তু দেশৰ বৰ্তমান দুৰৱস্থাৰ নিশ্চয় এটা প্ৰধান কাৰণ হ'ল আমাৰ দেশৰ সম্প্ৰতি প্ৰচলিত নিৰ্বাচনী ব্যৱস্থা। মুক্ত নিৰ্বাচন গণতন্ত্ৰৰ এটা প্ৰধান অংগ, কাৰণ ইয়াৰ যোগেদি প্ৰতিজন প্ৰাপ্তবয়স্ক পুৰুষ-তিৰোতাই নিজৰ নাগৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ সুযোগ পায়। আমি কেৱল এই কাৰণেই গণতন্ত্ৰৰ পথ বাছি লৈছিলো যে ই প্ৰতিজন নাগৰিকক দেশৰ শাসন-ব্যৱস্থাত মাত মতাৰ অধিকাৰ দিব আৰু ধনী-দৰিদ্ৰ নিৰ্বিশেষে সকলো লোককে আত্ম-মৰ্য্যাদাৰ চেতনা দিব। এই অধিকাৰবোধ আৰু আত্ম-মৰ্য্যাদাৰ চেতনাই হ'ল গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ দান। কিন্তু যি মুক্তিৰ আশাত আমি গণতন্ত্ৰৰ পথ বাছি লৈছিলো, এক ত্ৰুটিপূৰ্ণ নিৰ্বাচনী পদ্ধতিৰ ফলত সি আজি আমাক ক্ৰমান্বয়ে চৰম দাসত্বৰ পথলৈহে লৈ যাব ধৰিছে। আমাৰ বৰ্তমানৰ বেছিভাগ দুৰৱস্থাৰ কাৰণেই ভাৰতৰ নিৰ্বাচনী-পদ্ধতিকে বহু পৰিমাণে দায়ী বুলি কব পাৰি। ভাৰতত নিৰ্বাচন-যুদ্ধৰ

একমাত্র অস্ত্র হ'ল টকা। আদর্শ, ৰাজনৈতিক মতবাদ বা ব্যক্তিগত যোগ্যতাৰ স্থান তাত নগণ্য। যিমান বেছিকৈ পৰা যায় টকা সংগ্ৰহ কৰিব পৰাটোৱেই হ'ল নিৰ্বাচনী-যুদ্ধত জয়লাভৰ প্ৰধান চৰ্ত। কিন্তু বেছিকৈ টকা যোগান দিব পাৰে কোনে? একমাত্র ধনী শ্ৰেণীটোৱে। কিন্তু ধনী শ্ৰেণীটোৱে দান-পুণ্য কৰিবৰ কাৰণে বা কাৰো হাতত নিজৰ মাৰণাস্ত্ৰ তুলি দিবৰ কাৰণে নিশ্চয় টকা নিদিয়ে। তেওঁলোকে টকা দিয়ে একমাত্ৰ প্ৰতিদানৰ আশাত। নিৰ্বাচনৰ লগত টকাৰ এই অশুচি সম্পৰ্কৰ ফলতহে দেশৰ চৰকাৰে আজি ধনী শ্ৰেণীটোৰ ক্ৰীতদাসত পৰিণত হৈছে। আমাৰ দেশত আজি এনে এটা নিৰ্বাচনী-ব্যৱস্থা চলিব ধৰিছে — যাৰ ফলত ক'লা টকাৰ মহাজন, চোৰাং-কাৰবাৰী, লাভ-খোৰ আৰু মজুতদাৰৰ সহায় নোহোৱাকৈ কোনো এটা দলেই ক্ষমতালৈ আহিবলৈ আশা কৰিব নোৱাৰে। ফলত দেশখন চৰকাৰে নচলায় আচলতে চলায় এই লোকসকলৰ অদৃশ্য হাতে। ১৯৭২ চনৰ নিৰ্বাচনৰ আগে আগে চেনিৰ দাম বঢ়াই দিয়া হ'ল, কাৰণ তাকে নকৰিলে চেনীকলৰ মালিকসকলে কংগ্ৰেছৰ নিৰ্বাচনী পুঁজিলৈ ধন নিদিয়ে। এইবাৰো উত্তৰ প্ৰদেশৰ আগন্তুক নিৰ্বাচনৰ আগে আগে চেনীৰ দাম পুনৰ বঢ়াই দিয়া হৈছে। এই অভিযোগ মিছা বুলি চৰকাৰে যিমানেই চিৎকাৰ নকৰক কিয়, ঘটনাৰ কাৰ্য্যকাৰণ সম্পৰ্কই এইটো সম্পূৰ্ণ সঁচা বুলি প্ৰতীয়মান কৰাইছে। মাজে মাজে বিভিন্ন নিত্য-ব্যৱহাৰ্য্য সামগ্ৰী বজাৰৰ পৰা অদৃশ্য হৈ যায় আৰু বস্তুৰ দাম অসম্ভৱভাৱে বৃদ্ধি পায়। যথাসময়ত ৰেলৱে-ওৱাগন খালাচ নকৰি বস্তুৰ কৃত্ৰিম নাটনি সৃষ্টি কৰিও ব্যৱসায়ীসকলে প্ৰায়েই মূল্য-বৃদ্ধি অনিবাৰ্য্য কৰি তোলে। এইবোৰ ঘটনাৰো একোটা সহজ ব্যাখ্যা আছে। যিসকল ব্যৱসায়ীয়ে শাসক দলৰ নিৰ্বাচনী পুঁজিলৈ লাখ লাখ টকা দান দি তেওঁলোকক ক্ষমতালৈ অহাত সহায় কৰে, কৃত্ৰিম নাটনি আৰু মূল্য-বৃদ্ধিৰ দ্বাৰা দুখীয়া গ্ৰাহকৰ পৰা সেই টকা আদায় কৰি লবলৈ ব্যৱসায়ীসকলক এনেভাৱেই সুযোগ দিয়া হয়। জৱাহৰলাল নেহৰুৱে চোৰাং কাৰবাৰীক লেম্প পোষ্টত ফাঁচী দিম বুলি শূন্যগৰ্ভ আস্ফালন কৰাৰ দিন ধৰি আজিলৈকে অৱস্থাৰ কোনো পৰিবৰ্তন হোৱা নাই। চোৰাং কাৰবাৰীৰ গাৰ নোম এ[illegible] পৰ্য্যন্ত লৰাবলৈ এই চৰকাৰৰ সাধ্য নাই, কাৰণ চোৰাং কাৰবাৰীৰ ক'লা ধনৰ মোনাই হ'ল তেওঁলোকৰ ক্ষমতাৰ প্ৰধান উৎস। ভাৰতত সম্প্ৰতি যি ধৰণৰ গণতন্ত্ৰ চলিব ধৰিছে, সেই গণতন্ত্ৰই কোটি কোটি নি[illegible] ভোকাতুৰ মানুহক পাঁচ বছৰৰ মূৰে মূৰে ভোট দিয়াৰ অধিকাৰ দিয়াৰ বাহিৰে আন কোনো মানবীয় অধিকাৰেই দিব পৰা নাই। আনহাতে ই ৰাজনৈতিক নেতাক দিছে ৰাইজক প্ৰতাৰণা কৰাৰ অধিকাৰ, ব্যৱসায়ী শ্ৰেণীটোক দিছে ৰাইজক শোষণ কৰাৰ অধিকাৰ, আমোলাসকলক দিছে অবাধ দুৰ্নীতিত লিপ্ত হোৱাৰ অধিকাৰ। তদুপৰি এই নকল গণতন্ত্ৰই সাম্প্ৰদায়িকতা আৰু বিভেদকামী মনোভাৱক দিনে দিনে অধিক শক্তিশালী কৰি প্ৰতিক্ৰিয়াৰ ৰাজত্বক দীৰ্ঘস্থায়ী কৰাত সহায় কৰিছে। ভোট দিয়াৰ অধিকাৰে জনসাধাৰণক নিব পাৰিব লাগিছিল নিজৰ ভাগ্য নিজে নিৰ্ধাৰণ কৰাৰ অধিকাৰ; কিন্তু তাৰ পৰিবৰ্তে সি তেওঁলোকৰ ভৰিত আঁৰি দিছে এক অৰ্থ গৃধ্নু সমাজ-ব্যৱস্থাৰ দাসত্বৰ শৃংখল।

বহু শতাব্দীৰ ৰক্তৰ মূল্য দি অৰ্জন কৰা গণতন্ত্ৰ আজি আমাৰ দেশত মানুহৰ মুক্তিৰ পথ সুগম কৰাৰ শক্তিশালী হাতিয়াৰত পৰিণত হোৱাৰ পৰিবৰ্তে হ'ব ধৰিছে মানুহক শোষণ আৰু প্ৰতাৰণা কৰাৰ নিৰ্মম অস্ত্ৰ। প্ৰচলিত নিৰ্বাচন পদ্ধতিৰ আমূল পৰিবৰ্তন সাধন কৰি তাক ধনৰ মোনাৰ ৰাহু গ্ৰাসৰপৰা মুক্ত কৰিব নোৱাৰিলে মানুহে গণতন্ত্ৰৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাব— যাৰ পূৰ্বাভাস ইতিমধ্যেই দেখা গৈছে। ইও হয়তো এক শুভ লক্ষণ, কাৰণ নকলক নকল বুলি চিনিব নোৱৰাটোও এটা অপৰাধ। ভৱিষ্যতৰ আশাৰ ইংগিত আজি তথাকথিত নেতাৰ বাক-চাতুৰ্য্যত নাই, সি আছে কেৱল ক্ৰোধোন্মত্ত জনতাৰ গৰ্জনত। সেই গৰ্জনে ক্ষমতা সৰ্বস্ব নেতাৰ কপট ভাষণক স্তব্ধ কৰি দিব পাৰিলেহে প্ৰকৃত গণতন্ত্ৰৰ উদাত্ত আহ্বান জনতাৰ শ্ৰুতিগোচৰ হ'ব।

সাপ্তাহিক নীলাচল, ২৬৫ সংখ্যা ঃ ৬ ফেব্রুৱাৰী, ১৯৭৪ চন

গুৱাহাটী পৌৰ নির্বাচনৰ শিক্ষা

১৯৭২ চনৰ সাধাৰণ নির্বাচনৰ ঠিক আগে আগে মুখ্যমন্ত্রী শ্রীশৰৎ চন্দ্র সিংহই ঘোষণা কৰিছিল যে তেওঁৰ দলে বিধান সভাত কম পক্ষেও ৯১ খন আসন অধিকাৰ কৰিব। তেওঁৰ ভৱিষ্যদ্বাণী আচৰিতভাৱে সঁচা বুলি প্রমাণিত হৈছিল। বৰং নির্বাচনৰ ফলাফলে তেওঁৰ প্রত্যাশাকো চেৰাই গৈছিল। কংগ্রেছে সেইবাৰ বিধান সভাত ৯৬ খন আসন দখল কৰি প্রমাণ কৰিছিল যে নেতা আৰু ৰাইজৰ হৃৎ-স্পন্দনৰ মাজত এক বিৰল সামঞ্জস্য স্থাপিত হৈছে।

এইবাৰ গুৱাহাটী পৌৰ নির্বাচনৰ ভোট-গ্রহণ সমাপ্ত হোৱাৰ পাচত শ্রীসিংহই কোনো এঠাইত ব্যক্ত কৰিছিল যে তেওঁৰ দলে কম পক্ষেও ২২ খন আসন লাভ কৰিব পাৰিব। কিন্তু নির্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পাচত দেখা গ'ল যে মাত্র দুবছৰৰ ভিতৰতে শ্রীসিংহৰ ভৱিষ্যদ্বাণী কৰিব পৰাৰ ক্ষমতা বহুখিনি হ্রাস পাইছে। কংগ্রেছে মাত্র ১১ খন আসন অর্থাৎ শ্রীসিংহই আশা কৰাতকৈ ঠিক আধা-সংখ্যক আসনহে লাভ কৰিবলৈ সমর্থ হৈছে।

মুখ্যমন্ত্রীৰ হিচাব ইমান বেছিভাবে ভুল হৈ যোৱাৰ কাৰণ কি?

নিশ্চয় তাৰ এটা প্রধান কাৰণ হ'ল এয়েই যে কংগ্রেছৰ নেতাসকলে বাস্তৱতাৰ লগত সম্পর্ক হেৰুৱাই পেলাইছে। ১৯৭২ চনত যি স্বপ্নৰ উন্মাদনাই জনতাক দলে দলে কংগ্রেছ-মুখী কৰি তুলিছিল, ১৯৭৩ চনৰ অভূতপূর্ব অর্থনৈতিক সংকটৰ আঘাতত তেওঁলোকৰ সেই স্বপ্ন কেতিয়াবাই ভাগি গৈছে; কিন্তু জনতাৰ সাময়িক ভাবোচ্ছ্বাসৰ ওপৰত ভিত্তি কৰি কংগ্রেছৰ নেতাসকলে শাসন-ক্ষমতাৰ চিৰস্থায়ী বুনিয়াদ গঢ়াৰ যি স্বপ্ন দেখিছিল— তেওঁলোকৰ সেই স্বপ্ন এতিয়াও ভগা নাই। তেওঁলোকে এটা কথা পাহৰি গৈছে যে স্বপ্নৰ উন্মাদনা কেতিয়াও স্থায়ী হ'ব নোৱাৰে। এটা যুক্তি-সন্মত সময়ৰ ভিতৰত মানুহে স্বপ্নক আংশিকভাৱে হ'লেও দিঠকত পৰিণত হোৱা দেখিবলৈ আশা কৰে। নেতাৰ স্বপ্ন-বিলাস আৰু ৰাইজৰ বাস্তৱ অভিজ্ঞতাৰ মাজত যি বিৰাট পার্থক্য— সেই পার্থক্যই আজি প্রতিফলিত হৈছে শ্রীশৰৎ সিংহৰ ১৯৭২ চনৰ নির্ভুল ভৱিষ্যদ্বাণী আৰু আজিৰ সম্পূর্ণ ভুল ভৱিষ্যদ্বাণীৰ মাজত। কেৱল স্বপ্নৰ উন্মাদনাৰেই জনতাক চিৰকাল সন্তুষ্ট কৰি ৰাখিব নোৱাৰি— তাৰ জ্বলন্ত প্রমাণ হ'ল গুজৰাটৰ জন-বিক্ষোভৰ দাবানল, মহাৰাষ্ট্রত কংগ্রেছৰ পৃষ্ঠভংগ আৰু এতিয়া গুৱাহাটীত কংগ্রেছৰ আশা-আকাংক্ষাৰ ধ্বংস-স্তূপ। শ্রীশৰৎ সিংহৰ নেতৃত্বাধীন যি কংগ্রেছ চৰকাৰে গুৱাহাটীক অসমৰ নতুন ৰাজধানী আৰু সর্বপ্রথম পৌৰ নিগৰ হোৱাৰ মর্য্যাদা দিছিল, সেই কংগ্রেছ অনুষ্ঠানৰ হাতত গুৱাহাটী পৌৰ নিগমৰ দায়িত্ব দিবলৈ অস্বীকাৰ কৰি এই ৰাজনীতি সচেতন চহৰৰ অধিবাসীবৃন্দই কংগ্রেছৰ ওপৰত এক সন্দেহাতীত অনাস্থা ঘোষণা কৰিলে। ইয়াৰ প্রতিক্রিয়া হ'ব নিশ্চয় সুদূৰপ্রসাৰী।

অৱশ্যে এটা কথাও ঠিক যে গুৱাহাটী পৌৰ নিগমৰ নির্বাচনত কংগ্রেছৰ বিপর্য্যয় এটা বিচ্ছিন্ন ঘটনা নহয়; সমগ্র দেশব্যাপী আজি কংগ্রেছৰ বিৰুদ্ধে যি প্রতিবাদৰ ধুমুহা উঠিছে, গুৱাহাটী পৌৰ নির্বাচনত জনতাৰ ৰায়ো সেই প্রতিবাদৰ এটা অংশ মাত্র। কিন্তু ইয়াৰ কেইটামান স্থানীয় তাৎপর্য্যও নোহোৱা নহয়।

এই নির্বাচনে যি কেইটা কথা প্ৰমাণ কৰিছে, সেইবোৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য কথা হ'ল এয়েই যে ৰাইজে দ্ব্যৰ্থহীন ভাষাৰে কংগ্ৰেছৰ প্ৰতি অনাস্থাৰ মনোভাব প্ৰকাশ কৰিছে। কংগ্ৰেছে মুঠতে কেইখন আসন লাভ কৰিছে, কেৱল তাৰ দ্বাৰাই জনতাৰ ৰায়ৰ তাৎপৰ্য্য ব্যাখ্যা কৰিব নোৱাৰি। সংখ্যাৰ হিচাবৰ পৰা কংগ্ৰেছে মুঠ ৩৩ খন আসনৰ ভিতৰত ১১ খন আসন অধিকাৰ কৰি এক-তৃতীয়াংশ আসন লাভ কৰিছে। কিন্তু ভোটৰ হিচাব কৰি চালে দেখা যায় যে মুঠ প্ৰদত্ত ৫৮০০৬ টা ভোটৰ ভিতৰত কংগ্ৰেছে মাত্ৰ ১৬২৬৪ টা, অৰ্থাৎ ২৮ ভাগতকৈ কম ভোট লাভ কৰিছে। নিৰ্বাচনৰ ফলাফলৰ পৰা কংগ্ৰেছে যদি কিবা শিক্ষা আহৰণ কৰিব খোজে, তেন্তে মুঠ অধিকৃত আসনতকৈ ভোটৰ বিশ্লেষণহে অধিক তাৎপৰ্য্যপূৰ্ণ কথা হ'ব।

নিৰ্বাচনৰ ফলাফলে নিশ্চয় প্ৰমাণ কৰিছে যে কংগ্ৰেছৰ ওপৰত ৰাইজৰ আস্থা প্ৰবল বেগেৰে হ্ৰাস পাইছে, কিন্তু তাৰ লগতে এই কথাও প্ৰমাণিত হৈছে যে কংগ্ৰেছৰ খালী ঠাই পূৰাবৰ জোখাৰে আন আন কোনো সংগঠিত ৰাজনৈতিক দলেই পৰ্য্যাপ্ত পৰিমাণৰ জন সমৰ্থন বা শক্তি অৰ্জন কৰিব পৰা নাই। কংগ্ৰেছক বাদ দি আন তিনিটা ৰাজনৈতিক দলৰ ছজন নিৰ্বাচিত প্ৰাৰ্থীৰ বিপৰীতে ষোল জনকৈ নিৰ্দলীয় প্ৰাৰ্থীৰ জয় লাভে কেৱল এই কথাকে প্ৰমাণ কৰে। অৱশ্যে এই কথা স্বীকাৰ কৰিও কব লাগিব যে অসমৰ সৰ্বপ্ৰথম পৌৰ নিগমত দুজন চি পি এম প্ৰতিনিধিৰ প্ৰৱেশ নিঃসন্দেহে এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা। কংগ্ৰেছৰ লগত কমিউনিষ্ট পাৰ্টিৰ সনা-পিঠা হ'বৰ দিন ধৰি বিশেষকৈ গুৱাহাটীত চি পি এমৰ প্ৰভাৱ ধীৰে ধীৰে বৃদ্ধি হোৱা বুলি ৰাজনৈতিক পৰ্য্যবেক্ষক সকলে অনুভৱ কৰিছিল; এই নিৰ্বাচনে প্ৰমাণ কৰিলে যে গুৱাহাটীত চি পি এমৰ দেখাত ক্ষুদ্ৰ হ'লেও অসমৰ ৰাজনীতিত ই এটা তাৎপৰ্য্যপূৰ্ণ ঘটনাৰ সূচনা।

ৰাজনৈতিক দল বা আদৰ্শৰ কথা বাদ দি গুৱাহাটী পৌৰ নিৰ্বাচনত ছজন নিৰ্দলীয় বাঙালী প্ৰাৰ্থীৰ জয়লাভ আন এটা উল্লেখযোগ্য ঘটনা। আদৰ্শৰ ফালৰ পৰা নিৰ্বাচনী ফলাফলৰ সাম্প্ৰদায়িক বিশ্লেষণ নিশ্চয় অৰুচিকৰ আৰু অবাঞ্ছনীয়। কিন্তু সত্যৰ মুখামুখি হ'বলৈ হ'লে তাৰ বাস্তৱ দিশটো অস্বীকাৰ কৰি থাকিব নোৱাৰি। নিৰ্বাচনৰ সাধাৰণ ধাৰাৰ লগত সংগতি ৰাখি এই ছজন নিৰ্দলীয় বাঙালী প্ৰাৰ্থীৰ জয়লাভে নিশ্চয় ৰাইজৰ কংগ্ৰেছ বিৰোধী মনোভাব প্ৰকাশ কৰিছে; এই কথাও সঁচা যে একাধিক বাঙালী প্ৰাৰ্থীয়ে তেওঁলোকৰ অসমীয়া প্ৰতিবেশী আৰু বন্ধুৰ সক্ৰিয় সহায় সমৰ্থন লাভ কৰিছে। কিন্তু চৌত্ৰিশ-জনীয়া পৌৰ নিগমত ছজন নিৰ্দলীয় বাঙালী প্ৰাৰ্থীৰ জয়লাভৰ আন এটা তাৎপৰ্য্যও আছে। বাসত্তৰ চনৰ ভাষা সংঘৰ্ষৰ দিনৰ পৰা আৰম্ভ কৰি পুৰুকায়স্থ প্ৰসংগলৈকে এই সময়ছোৱাৰ ঘটনাৱলীয়ে অসমৰ ৰাজনীতিত যি দীঘল ছাঁ পেলাইছে, তাৰ কিছু প্ৰতিফলন নিশ্চয় নিৰ্বাচনৰ ফলাফলৰ মাজত দেখা গৈছে। সাধাৰণভাৱে ক'বলৈ গ'লে অসমৰ কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে বাঙালী লোকসকলৰ মাজত এটা বিদ্ৰোহৰ মনোভাব গঢ়ি উঠিছে। তেজপুৰৰ পৌৰ নিৰ্বাচন আৰু এতিয়া গুৱাহাটীৰ পৌৰ নিৰ্বাচনেও সেই কথা প্ৰমাণ কৰিছে। এই ঘটনাৰ প্ৰতিক্ৰিয়াই ভৱিষ্যতে কি ৰূপ লয় বা অসমৰ ৰাজনীতিক কি ভাবে প্ৰভাৱিত কৰে সেই কথা সময়তহে দেখা যাব। কিন্তু সদ্যহতে বিশেষভাৱে মন কৰিব লগা কথা হ'ল এইটোৱেই যে গুৱাহাটী পৌৰ নিগমৰ দলীয় গাঠনিৰ পৰিপ্ৰেক্ষিতত শক্তিৰ ভাৰ-সাম্য নিৰ্ণয় কৰা বা ৰক্ষা কৰাৰ ক্ষমতা থাকিব এই ছজন বাঙালী সদস্যৰ হাতত।

সৰহ ভাগ পৰ্য্যবেক্ষকৰ মতেই পৌৰ নিৰ্বাচনত কংগ্ৰেছৰ শোচনীয় পৰাজয়ৰ একমাত্ৰ কাৰণ বৰ্তমানৰ অৰ্থনৈতিক সংকটেই নহয়,— তাৰ আৰু এটা প্ৰধান কাৰণ হ'ল প্ৰাৰ্থী নিৰ্বাচনত কংগ্ৰেছ নেতৃ-বৃন্দই দেখুওৱা চৰম দুৰ্বুদ্ধি। ই যদিও কংগ্ৰেছৰ ঘৰুৱা বা ভিতৰুৱা কথা, তথাপি ৰাজ্যখনৰ শাসনৰ দায়িত্বত থকা

কংগ্ৰেছ নেতৃ-বৃন্দৰ মানসিকতা বুজিবৰ কাৰণে এই বিষয়টো বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন আছে। আজি বহুদিন ধৰি পৰ্য্যবেক্ষকসকলে লক্ষ্য কৰি আহিছে যে কংগ্ৰেছৰ ভিতৰত আভ্যন্তৰীণ গণতন্ত্ৰৰ অভাব ঘটিছে; ১৯৭২ চনৰ অভূতপূৰ্ব বিজয়-গৰ্বৰ নিচাত মতলীয়া হৈ দেশৰ প্ৰধান মন্ত্ৰীৰ পৰা আৰম্ভ কৰি সৰু-বৰ পালি-পহৰীয়া সকলোৱেই গণতান্ত্ৰিক সিদ্ধান্ত লোৱাৰ পৰিবৰ্তে কৰ্তৃত্ব-প্ৰয়োগৰ প্ৰবণতা বেছিকৈ দেখুৱাবলৈ আৰম্ভ কৰিছে। গুৱাহাটীৰ পৌৰ নিৰ্বাচনৰ প্ৰাৰ্থী মনোনয়নতো তাৰ প্ৰমাণ পোৱা গৈছে। এই নিৰ্বাচনৰ কাৰণে প্ৰাৰ্থী মনোনয়ন কৰাৰ কৰ্তৃত্ব দিয়া হৈছিল মুখ্যমন্ত্ৰী আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতিক, এই ক্ষেত্ৰত কংগ্ৰেছ সভাপতিৰ ভূমিকা কিমান সক্ৰিয় আছিল কোৱা টান, কিন্তু অনুমান কৰা কঠিন নহয় যে নিতান্ত স্বাভাৱিক আৰু সংগত কাৰণতেই মনোনীত প্ৰাৰ্থী-তালিকাত কংগ্ৰেছ সভাপতিতকৈ মুখ্যমন্ত্ৰীৰ ইচ্ছা বা অভিৰুচিয়েই বেছি প্ৰবলভাবে প্ৰতিফলিত হৈছে। আন কথাত ক'বলৈ গ'লে প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰায় সমস্ত দায়িত্ব মুখ্যমন্ত্ৰীয়ে অকলেই বহন কৰিছিল। গতিকে প্ৰাৰ্থী নিৰ্বাচনত যদি কিবা ভুল থাকি গ'ল, তাৰ দায়িত্ব আৰু লগতে সেই ভুলৰ ফলত ঘটা নিৰ্বাচনী বিপৰ্য্যয়ৰ দায়িত্বও তেওঁ অকলেই গাত পাতি লব লাগিব। ভুল যে যথেষ্ট কৰা হ'ল— সেই বিষয়ে বিন্দু মাত্ৰ সন্দেহ আছেনে? এই প্ৰাৰ্থী-নিৰ্বাচনত এটাই মাত্ৰ নীতি অনুসৰণ কৰা হৈছিল ঃ সেইটো হৈছে সকলো নীতি আৰু ৰাজহুৱা মংগল-চিন্তাৰ প্ৰতি বৃদ্ধাংগুস্থ প্ৰদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে এহাতে যেনেকৈ অসমৰ সৰ্বপ্ৰথম পৌৰ নিগম আৰু বৃহত্তম মহানগৰীৰ পৰিচালনাৰ দায়িত্ব ল'বৰ জোখাৰে উপযুক্ত যোগ্যতাসম্পন্ন প্ৰাৰ্থীৰ সন্ধান কৰা নাছিল, আনহাতে তেনেকৈ নিৰ্বাচনত জয়লাভ কৰি দলৰ মান-মৰ্যাদা অক্ষুণ্ণ ৰাখিব পৰা প্ৰাৰ্থীৰো সন্ধান কৰা নাছিল। এহাতে যেনেকৈ তেওঁ প্ৰাৰ্থী বিশেষৰ অতীত কাৰ্য্য-কলাপ বা নৈতিক সততাৰ বিচাৰ লোৱা নাছিল, আনহাতে তেনেকৈ তেওঁ একাধিক প্ৰাৰ্থীৰ ৰাজহুৱা যোগ্যতাও বিবেচনা কৰি চোৱা নাছিল। তেওঁৰ এনে মনোভাৱৰ কাৰণ কি? তাৰ একমাত্ৰ কাৰণ এয়েই নেকি যে বিধান সভাৰ বিৰাট দলীয় শক্তিয়ে তেওঁক দুঃসাহসী, স্বেচ্ছাচাৰী আৰু খাম-খিয়ালি হ'বলৈ উৎসাহিত কৰিছে? তাৰ আন এটা কাৰণ এয়েই নেকি যে অসম কংগ্ৰেছত আজি মুখ খুলি কথা ক'ব পৰা আৰু নৈতিক সাহস থকা মানুহৰ অভাৱ ঘটিছে? কাৰণটো যিয়েই নহক, এই কথা সম্পূৰ্ণ সঁচা যে আজি অসম কংগ্ৰেছ বা অসম চৰকাৰৰ decision appratus বুলি কোনো এটা বস্তু নাই। সেই অভাৱৰ কু-পৰিণাম ভুগিব লগা হৈছে সমগ্ৰ জনসাধাৰণে।

গুৱাহাটীৰ পৌৰ নিগমে কি ৰূপ লয় এতিয়াও অনিশ্চিত। কিন্তু ৰাইজে আশা কৰে যে ক্ষমতা দখলৰ লোভত কংগ্ৰেছে কোনো নীতি বিবৰ্জিতৰ কাম আৰম্ভ নকৰে। ইমানৰ পাচত সেইখিনি হ'লে ক্ষমাৰ আৰু কোনো থল বাকী নাথাকিব।

সাপ্তাহিক নীলাচল, ২৬৬ সংখ্যা ঃ ১৩ ফেব্রুৱাৰী, ১৯৭৪ চন

গুৱাহাটীলৈ ব্ৰড্-গেজ ৰেল-পথ নাহে

উন্নত পৰিবহণ ব্যৱস্থা অৰ্থনৈতিক উন্নতিৰ এটা প্ৰধান চৰ্ত্ত। ভাৰতৰ নিচিনা দেশত ৰেলৱেই পৰিবহণৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ ভূমিকা গ্ৰহণ কৰে। কিন্তু ভাৰতৰ ৰেলৱে-মানচিত্ৰত অসমৰ স্থান অতি নগণ্য। অসমত নতুন ৰেলপথ সম্প্ৰসাৰিত হোৱাটো দূৰৰ কথা, বৰ্তমান থকা ৰেল-পৰিবহণৰ ব্যৱস্থাও প্ৰাগৈতিহাসিক অৱস্থাত থকা বুলি কব পাৰি। কণা হাঁহক পতান ধান দি আভুৱা ভৰাৰ দৰে দ্বিতীয় মহাযুদ্ধৰ সময়ত ভগা-ছিগা ৰেল-ইঞ্জিন আৰু গাড়ীবোৰকে দি অসমৰ শান্ত-শিষ্ট অজলা মানুহবোৰক ঠগি থাকিবলৈ চেষ্টা কৰা হৈছে। অসমত ৰেল-গাড়ীও প্ৰায় গৰুৰ গাড়ীৰ গতি বেগত চলে। কিন্তু তাৰ কাৰণ কি সেই কথা জানিবলৈ অসমৰ মানুহে চেষ্টা নকৰে। ৰেল-গাড়ী আৰু ইঞ্জিন শতকৰা পোন্ধৰ ভাগ ক্ষয়-প্ৰাপ্ত হ'লেই নতুন পাৰ্টচ্ লগাই তাক মেৰামতি কৰাৰ প্ৰয়োজন হয়। খুব বেছি পুৰণি হ'লে সেইবোৰ বাতিল কৰি নতুন ইঞ্জিন আৰু গাড়ী দিয়াৰ প্ৰয়োজন হয়। তাকে নকৰিলে ৰেল-গাড়ীৰ গতি-বেগ গৰু-গাড়ীৰ গতি-বেগলৈ হ্ৰাস কৰাৰ বাহিৰে আন একো উপায় নাথাকে। ঠিক সেইদৰে ৰেল-পথবোৰতো নতুনকৈ শিল দি দি সেইবোৰ সঘনে মেৰামতি কৰি থকাৰ নিয়ম আছে। ৰেল-পথত নতুনকৈ শিল দিয়া-নিদিয়াৰ ওপৰতো ৰেলৰ গতি-বেগ নিৰ্ভৰ কৰে। কিন্তু অসমত ৰেলৰ ইঞ্জিন ক্ষয়-প্ৰাপ্ত হ'লে বা ৰেল-পথ পুৰণি হৈ ভাৰ বহন কৰিবলৈ অক্ষম হৈ পৰিলেও সেইবোৰ সময়মতে মেৰামতি কৰাৰ কোনো ব্যৱস্থা নহয়। ফলত অসমত ৰেল-গাড়ী গৰু-গাড়ীৰ গতি-বেগত চলে আৰু যেতিয়াই খুচি তেতিয়াই ৰেলগাড়ীৰ চলাচল বন্ধ কৰি ৰখা হয়। তদুপৰি ভাৰতৰ আন কোনো অঞ্চলত চলাব নোৱৰা গেলা-পচা ইঞ্জিন আৰু গাড়ীবোৰ অসমলৈ পঠিয়াই দিয়া হয়। ৰেলৱে কৰ্তৃপক্ষই ভাৰতৰ আন কোনো ৰাজ্যতে এনে কাম কৰিবলৈ সাহস নকৰে, কাৰণ সেইবোৰ ৰাজ্যত ৰেল চলা দুঘণ্টামান সময় দেৰি হ'লেও মানুহে সেইটো সহ্য নকৰে। কিন্তু অসমৰ মানুহৰ আন একো নহ'লেও গৰ্দভ-সুলভ ধৈৰ্য্য আৰু সহিষ্ণুতাৰ যে অভাৱ নাই, সেই কথা ভাৰত চৰকাৰে ভালকৈয়ে জানে।

ভাৰতীয় ৰেলৱেৰ ব্ৰড-গেজ ৰেল-পথ বঙাইগাঁৱতে আহি শেষ হৈছে। অসমৰ বৃহত্তম বাণিজ্য কেন্দ্ৰ আৰু প্ৰবেশ-পথ গুৱাহাটীলৈকে ব্ৰড-গেজ ৰেল-পথ সম্প্ৰসাৰিত নকৰাৰ ফলত বিভিন্ন প্ৰকাৰে অসমৰ মানুহৰ যে কিমান দুখ-দুৰ্গতি হৈছে — তাক কৈ অন্ত কৰিব নোৱাৰি। এক কথাত ক'বলৈ গ'লে গুৱাহাটীলৈকে ব্ৰড-গেজ ৰেল-পথ ননাৰ ফলতেই অসমৰ অৰ্থনৈতিক বিকাশৰ পথো বাধা-প্ৰাপ্ত হৈ ৰৈছে। বছৰৰ পিছত বছৰ ধৰি অসমৰ মানুহে গুৱাহাটীলৈকে ব্ৰড-গেজ ৰেল-পথ সম্প্ৰসাৰিত কৰিব লাগে বুলি কাকুতি-মিনতি কৰি আহিছে, কেন্দ্ৰীয় চৰকাৰেও কঢ়া-মিঠা নানা ভাবাৰে অসমৰ মানুহক চেচনি দিবলৈ চেষ্টা কৰি আহিছে, কিন্তু গুৱাহাটীলৈ ব্ৰড-গেজ ৰেল-পথ অহাৰ কোনো লক্ষণেই আজিলৈকে দেখা নাই। ধৈৰ্য্যৰ অৱতাৰ অসমৰ মানুহে আশা কৰি আছিল যে অন্ততঃ পঞ্চম পৰিকল্পনাৰ কালছোৱাত গুৱাহাটীলৈ ব্ৰড-গেজ অনাৰ কিবা এটা ব্যৱস্থা হ'ব। কিন্তু কেন্দ্ৰীয় চৰকাৰে অৱশেষত সেই আশাৰ মূৰতো চেঁচা পানী ঢালিলে। পঞ্চম পৰিকল্পনাতো গুৱাহাটীলৈ ব্ৰড-গেজ অনাৰ কোনো প্ৰস্তাৱ নাই। অথচ ৰেল-মন্ত্ৰী শ্ৰীললিত নাৰায়ণ মিশ্ৰৰ নিজৰ সমষ্টিৰ মাজেদি চলা ৰেল-গাড়ীৰ তৃতীয় শ্ৰেণীৰ ডবাৰ বেৰতো মিউৰেল পেইণ্টিঙৰ ব্যৱস্থা হৈছে।

বিশ্বস্ত সূত্রে জানিবলৈ পোৱা মতে অসমৰ ৰাজ্যপালে বোলে প্ৰধান মন্ত্ৰীলৈ এখন গোপনীয় চিঠি লিখি জনাইছে যে বিক্ষোভ বা আন্দোলন নোহোৱালৈকে ৰাইজৰ কোনো ন্যায্য দাবী পূৰণ নকৰাৰ যি নীতি কেন্দ্ৰীয় চৰকাৰে অনুসৰণ কৰিছে — তাৰ শেষ ফল বৰ ভাল নহ'ব। তেওঁৰ মতে পঞ্চম পৰিকল্পনাৰ ভিতৰতে গুৱাহাটীলৈ ব্ৰড-গেজ অনাৰ ব্যৱস্থা নকৰিলে অসমৰ মানুহে বিক্ষোভৰ পথ লব পাৰে। কিন্তু আমি ৰাজ্যপাল ডাঙৰীয়া আৰু কেন্দ্ৰীয় চৰকাৰক আশ্বস্ত কৰি ক'ব পাৰোঁ যে তেওঁলোকৰ সেই ভয় নিতান্তই অমূলক। অসমত 'ধোদৰ আলি' মাত্ৰ একেবাৰেইহে বন্ধা হৈছিল। তেওঁলোক পুনৰ জাগি উঠি কেন্দ্ৰীয় চৰকাৰক অশান্তি দিয়াৰ কোনো লক্ষণ সদ্যহতে নাই।

গুৱাহাটীলৈকে ব্ৰড-গেজ অনাটোৱেই অসমৰ মানুহৰ একমাত্ৰ প্ৰাৰ্থনা নহয়। প্ৰায় সমানেই গুৰুত্বপূৰ্ণ আন এটা দাবী হ'ল ৰেলৱেত থলুৱা লোকৰ নিযুক্তিৰ পৰিমাণ বৃদ্ধি কৰা। ভাৰতত ৰেলৱেই হ'ল বৃহত্তম এমপ্লয়াৰ বা নিয়োগ কৰ্তা; ই প্ৰায় ১২ লাখ মানুহক কৰ্ম-সংস্থান দিছে। উত্তৰ-পূব সীমান্ত ৰেলৱেত মুঠ চাকৰিয়ালৰ সংখ্যা হ'ল প্ৰায় ৭৮ হাজাৰ। তাৰ ভিতৰত থলুৱা লোকৰ সংখ্যা প্ৰায় শতকৰা ১৫ ভাগ। বৰ্তমানৰ ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাৰ দিনত ৰেলৱেই ন্যায়-বিচাৰৰ পথ অনুসৰণ কৰা হ'লে অসমৰ নিবনুৱা সমস্যা তথা অৰ্থনৈতিক সংকটৰ বহুখিনি উপশম হ'লহেঁতেন। কিন্তু অনেক নীতি-নিয়ম বান্ধি দিয়া আৰু আশ্বাস দিয়া সত্বেও ৰেলৱেত থলুৱা লোকৰ নিযুক্তিৰ পৰিমাণ বৃদ্ধি নোপোৱাৰ এটা প্ৰধান কাৰণ হ'ল এয়েই যে ৰেলৱেৰ পাৰ্চনেল ডিপাৰ্টমেণ্টত থলুৱা বিষয়াৰ সংখ্যা অতি নগণ্য, প্ৰায় নাই বুলিলেই হয়। উত্তৰ পূব ৰেলৱেৰ মুঠ ৫০ জন এচিষ্টেণ্ট পাৰ্চনেল অফিচাৰৰ ভিতৰত থলুৱা লোক মাত্ৰ দুজন। নীতি-নিয়ম যিমানেই সৃষ্টি কৰা নহওক কিয়, সেইবোৰ কাৰ্য্যকৰী কৰে মানুহেহে; আৰু মানুহে ইচ্ছা কৰিলেই সেই নীতি-নিয়ম ভংগ কৰিব পৰাৰ হাজাৰটা সুৰুঙা সদায় থাকে। ৰেলৱেৰ নিযুক্তিৰ ক্ষেত্ৰত থলুৱা লোকৰ কাৰণে সুবিচাৰ আদায় কৰাৰ একমাত্ৰ উপায় হ'ল ৰেলৱেৰ পাৰ্চনেল ডিপাৰ্টমেণ্টত কম পক্ষেও দহজনমান থলুৱা এচিষ্টেণ্ট পাৰ্চনেল অফিচাৰৰ নিযুক্তিৰ ব্যৱস্থা কৰা। অসম চৰকাৰে ইচ্ছা কৰিলেই ৰেলৱে বোৰ্ডৰ লগত আলোচনা কৰি তাৰ ব্যৱস্থা কৰিব পাৰে। কিন্তু তাকে কৰিবলৈ অসম চৰকাৰৰ সময়, সাহস আৰু সুবুদ্ধি হ'বনে?

এই ক্ষেত্ৰত আৰু এটা ডাঙৰ কাম কৰিবলগীয়া আছে। ভাৰতৰ প্ৰায়বোৰ জোনতে (Zone) নিজস্ব ৰেলৱে চাৰ্ভিচ কমিচন আছে। কিন্তু উত্তৰ-পূৰ্ব সীমান্ত ৰেলৱেত তেনে কোনো কমিচন নাই। নানা জোৰা-ফন্দা মাৰি তদৰ্থ ব্যৱস্থাৰ দ্বাৰাই কাম চলাই থকা হৈছে। তাৰ ফলতো থলুৱা লোক প্ৰাপ্য ন্যায়-বিচাৰৰপৰা বঞ্চিত হৈছে। অসম চৰকাৰে উত্তৰ-পূৰ্ব সীমান্ত ৰেলৱেৰ কাৰণে এটা সুকীয়া ৰেলৱে চাৰ্ভিচ কমিচন আদায় কৰিব লাগে আৰু তাৰ চেয়াৰমেন হ'ব লাগে এজন স্থানীয় বে-চৰকাৰী লোক, অসম চৰকাৰক এইবোৰ দায়িত্বৰ প্ৰতি সচেতন কৰি দিবলৈ অসমৰ যুবক-সমাজ আগবাঢ়ি নাহিবনে?

মুখ্য-মন্ত্রীৰ উত্তৰ

We are moving in the right direction.
– Sarat Sinha

Will you walk a little faster ?
Said a whiting to a snail,
"There's a propoise close behind us,
And he is treading on my tail."
– Lewis Carrol : Alice in the Wonderland.

যোৱা ১৪ ফেব্রুৱাৰী তাৰিখে মুখ্য-মন্ত্রীয়ে বিধান সভাত ৰাজ্যপালৰ ভাষণৰ ওপৰত চলা বিতৰ্কৰ উত্তৰ দিয়ে। এই উত্তৰ যদিও মুখ্যমন্ত্রীয়ে বিধান সভাৰ সদস্যসকলৰ প্ৰতি দিছে, কিন্তু প্ৰকৃতপক্ষে ই অসমৰ সমগ্ৰ জনসাধাৰণৰ প্ৰতি দিয়া উত্তৰ, কাৰণ বিধান সভাৰ সদস্যসকলৰ বক্তব্যত সদৌ ৰাইজৰে মনৰ কথা ব্যক্ত হৈছে। চৰকাৰৰ সমালোচনাত এইবাৰ শাসক দলৰ সদস্য সকলো পিছ পৰি থকা নাই, বৰং চৰকাৰৰ নানা ব্যৰ্থতা আৰু ত্ৰুটি-বিচ্যুতি উদঙাই দেখুওৱা কামত তেওঁলোকক বিৰোধী দলৰ সদস্যসকলৰ [illegible] সমানে প্ৰতিযোগিতা কৰা যেনহে দেখা গৈছে। বিৰোধী দলৰ সদস্যসকলৰ লগত তেওঁলোকৰ পাৰ্থক্য এইখিনিতে দেখা গৈছিল যে চীজাৰৰ মৃত-দেহ আগত লৈ মাৰ্ক এণ্টনীয়ে দিয়া বিখ্যাত বক্তৃতাত [illegible] যেনেকৈ And Brutus is an honourable man কথাষাৰ গানৰ ধ্ৰুৱাৰ দৰে দোহাৰি আছিল, শাসক দলৰ সদস্যসকলেও চৰকাৰক নানা গালি-শপনি পাৰি অৱশেষত ৰাজ্যপালৰ ভাষণৰ প্ৰতি জনোৱা ধন্যবাদ-সূচক প্ৰস্তাৱ সমৰ্থন কৰিছোঁ বুলি কৈ নিজৰ বক্তৃতাৰ সামৰণী মাৰিছিল। ৰাজ্যখনৰ পৰিস্থিতি আজি এনে এটা অৱস্থাত উপনীত হৈছেগৈ যে শাসক দলৰ সদস্যসকলৰ পক্ষেও নিজৰ মুখ বন্ধ কৰি ৰখা সম্ভৱ হৈ থকা নাই।

ৰাজ্যপালৰ ভাষণৰ ওপৰত প্ৰায় এসপ্তাহ ধৰি চলা বিতৰ্ক আৰু আলোচনাত দুয়ো পক্ষৰ সদস্যসকলে নানা তথ্য-পাতিৰে বিভিন্ন ক্ষেত্ৰত চৰকাৰৰ ব্যৰ্থতা প্ৰমাণ কৰি দেখুৱাইছিল। কিন্তু মুখ্যমন্ত্রীয়ে সেই সকলোবোৰ সমালোচনাৰ উত্তৰ দিবলৈ নগৈ তেওঁৰ মোখনি-মৰা ভাষণৰ কাৰণে মাত্ৰ দুটা বিষয় বাচি ল'লে, কাৰণ তেওঁৰ মতে সেই দুটাই হ'ল মৌলিক বিষয়। কমিউনিষ্ট সদস্য শ্ৰীদুলাল খাউণ্ডে তেওঁৰ ভাষণত প্ৰশ্ন কৰিছিল : "চৰকাৰে যি প্ৰতিক্ৰিয়াশীল শক্তিৰ কথা কয়, সেই প্ৰতিক্ৰিয়াশীল শক্তিবোৰক চৰকাৰে চিনাক্ত-কৰণ কৰিব পাৰিছেনে? যদি পাৰিছে, তেন্তে তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে?" জন-গণতান্ত্রিক দলৰ সদস্য শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্যই প্ৰশ্ন কৰিছিল : "চৰকাৰে এতিয়ালৈকে কি কি ক্ষেত্ৰত নিৰ্দিষ্ট কৃতকাৰ্য্যতা (Quantum of achievement) অৰ্জন কৰিছে?" মুখ্যমন্ত্রীয়ে উত্তৰ দিবৰ কাৰণে প্ৰশ্ন দুটা ঠিকেই বাছি লৈছিল, কাৰণ এই প্ৰশ্ন দুটাৰ সদুত্তৰ দিব পাৰিলেই সকলো প্ৰশ্ন আৰু সকলো সমালোচনাৰ যথোচিত জবাব দিয়া হয়। কিন্তু দুৰ্ভাগ্যৰ কথা যে মুখ্যমন্ত্রীয়ে এই প্ৰশ্ন দুটাৰ কোনো সন্তোষজনক জবাব

দিব নোৱাৰিলে। অকল নোৱৰাই নহয়, জবাব দিবলৈ তেওঁ আন্তৰিকভাৱে চেষ্টাও নকৰিলে। ৰাইজৰ প্ৰশ্ন প্ৰশ্ন হৈয়ে থাকি গ'ল, বৰং এই ধাৰণাৰহে সৃষ্টি হ'ল যে চৰকাৰৰ হাতত তাৰ কোনো সন্তোষজনক উত্তৰ নাই।

শ্ৰীখাউণ্ডৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে ক'লে যে তেওঁৰ চৰকাৰে প্ৰতিক্ৰিয়াশীল শক্তিসমূহক চিনাক্ত কৰণ কৰিব পাৰিছে। চৰকাৰৰ ভূমি-সংস্কাৰ আৰু খাদ্য-শস্যৰ ব্যৱসায়ৰ ৰাষ্ট্ৰীয়-কৰণৰ নিচিনা প্ৰগতিশীল কাৰ্য্য-ব্যৱস্থাই যিসকল লোকৰ ন্যস্তস্বাৰ্থক আঘাত কৰিছে আৰু ফলত যিসকল লোঁকে চৰকাৰৰ বিৰুদ্ধে ঠিয় দিছে—তেওঁলোককেই হ'ল প্ৰতিক্ৰিয়াশীল শক্তি। কিন্তু এইসকল লোকক চিনি পোৱাটোও চৰকাৰৰ এটা কৃতকাৰ্য্যতাৰ পৰিচয় হ'লনে? কেৱল তেওঁলোকক চিনাক্ত-কৰণ কৰিবৰ কাৰণেই চৰকাৰৰ দুবছৰ সময় লাগিব লাগেনে? বা তাৰ কাৰণে কোনোবা মানুহ গৈ মুখ্যমন্ত্ৰীৰ আসনত বহিব লাগেনে? সমাজত এনেকুৱা প্ৰতিক্ৰিয়া-শীল লোকৰ অস্তিত্ব আছে বুলি ৰাইজে নিজেই জানে; এনেবোৰ লোক আছে কাৰণেই অৰ্থনৈতিক মুক্তি আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ কাম অতিশয় কষ্ট-সাধ্য। এই প্ৰতিক্ৰিয়া-শীল শক্তিৰ সকলো বাধা-বিৰোধিতা মষিমূৰ কৰি সমাজক প্ৰগতিৰ পথত আগুৱাই নিবৰ কাৰণেই ১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনত ৰাইজে কংগ্ৰেছক বিপুল জন-সমৰ্থন দিছিল। সেই বিপুল জন-সমৰ্থনৰ কি ভাৱে সদ্ব্যৱহাৰ কৰা হৈছে? গণতান্ত্ৰিক শাসন-ব্যৱস্থাত সংখ্যা-গৰিষ্ঠৰ সমৰ্থনেই যদি চৰকাৰৰ একমাত্ৰ অস্ত্ৰ নহয়, তেন্তে তেওঁলোকে আৰু কি অস্ত্ৰ পাবৰ কাৰণেই অপেক্ষা কৰি আছে? তদুপৰি সেই তথা-কথিত প্ৰতিক্ৰিয়াশীল শক্তিয়ে এনে কি বাধা বা বিৰোধিতা আগবঢ়াইছে—যাৰ ফলত চৰকাৰে নিজৰ নিৰ্দিষ্ট পথত এটা খোজো আগবাঢ়িবপৰা নাই? তেওঁলোক কি হিংসাত্মক প্ৰতিৰোধৰ সৃষ্টি কৰিছে? জন-সাধাৰণক পথ-ভ্ৰান্ত কৰি চৰকাৰৰ বিৰুদ্ধে ঠিয় কৰাইছে? বিপুল জন-সমৰ্থন-পুষ্ট এটা প্ৰবল-প্ৰতাপী চৰকাৰেও কি ৬৬০ জন ব্যক্তিগত খাদ্য-ব্যৱসায়ী বা ১০০০ জন ভূ-স্বামীৰ বিৰোধিতাৰ সন্মুখত বেঙে-মুটা গৰুৰ দৰে কঁপিছে?...... সাধু কথাৰ গৰখীয়া ল'ৰাটোৱে মিছাকৈয়ে 'বাঘ বাঘ' বুলি চিঞৰি দুবাৰকৈ মানুহ মাতিছিল; কিন্তু তৃতীয়বাৰ বাঘ যেতিয়া সঁচাকৈয়ে আহিল, তাক ৰক্ষা কৰিবলৈ কোনো মানুহ নাহিল। অৱশেষত অসমৰ মুখ্যমন্ত্ৰীৰ অৱস্থাও বোধহয় তেনেকুৱাই হবগৈ।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্যৰ প্ৰশ্নটো আছিল আৰু অধিক জৰুৰী আৰু সুস্পষ্ট ঃ "যোৱা দুবছৰে চৰকাৰে ৰাইজৰ কাৰণে কি কি বিশেষ কাম কৰিব পাৰিছে?" এই প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে ঘুৰাই-পকাই কেৱল এইটু কথাকেই ক'লে যে তেওঁৰ চৰকাৰে এতিয়ালৈকে কোনো উল্লেখযোগ্য কাম কৰিব পৰা নাই সঁচা, কিন্তু আটাইতকৈ ডাঙৰ যিটো কাম তেওঁলোকে কৰিছে, সেইটো হ'ল এই যে তেওঁলোকে শুদ্ধ পথত আগবাঢ়িছে (We are moving in the right direction)। মুখ্যমন্ত্ৰীয়ে যদি ক'লেহেঁতেন যে তেওঁলোকে শুদ্ধ পথ বাছি লৈছে আৰু তাকে কৰোঁতেই দুবছৰ সময় অতিবাহিত কৰিছে, তেতিয়া হ'লেও আমাৰ বিশেষ কবলগীয়া নাছিল; সকলোৰে চিন্তাৰ গতি সমানে বেগী নহবও পাৰে। কিন্তু তেওঁ দাবী কৰিছে যে তেওঁৰ চৰকাৰ শুদ্ধ পথত আগবাঢ়িছে। তেওঁৰ কথাষাৰ স্ব-বিৰোধী নহয়নে? আমি ভবা মতে আগবঢ়া মানেই কাম কৰা; কাম নকৰাকৈ কোনেও আগবঢ়া বুলি দাবী কৰিব নোৱাৰে। কিন্তু মুখ্যমন্ত্ৰীয়ে এহাতে কৈছে যে তেওঁৰ চৰকাৰে এতিয়ালৈকে বিশেষ একো কাম কৰিব পৰা নাই, আনহাতে তেওঁ দাবী কৰিছে যে তেওঁলোক শুদ্ধ পথত আগবাঢ়িছে আৰু শুদ্ধ পথত সেই আগবঢ়াটোৱেই তেওঁৰ চৰকাৰৰ প্ৰধান কৃতিত্ব।

বার্ট্রাণ্ড ৰাছেলে কৈছিল : I like sharp outlines, not golden mist। শ্ৰীশৰৎ সিংহৰ সকলো বক্তব্যৰ আটাইতকৈ ডাঙৰ দুৰ্ব্বলতা এয়েই যে তেওঁৰ কোনো কথাতে sharp out-line বা স্পষ্ট ৰূপ-ৰেখা ফুটি নুঠে, নানা clicheৰ দ্বাৰা তেওঁ স্বেচ্ছাকৃতভাৱেই সকলো কথাকে ধুঁৱলী-কুঁৱলী কৰি পেলাবলৈ চেষ্টা কৰে। ৰাইজে তেওঁৰপৰা জানিবলৈ বিচাৰিছে—যোৱা দুবছৰে তেওঁ কি কি কন্‌ক্ৰীট্‌ কাম কৰিলে? কিমান মাটিহীনক মাটি দিয়া হ'ল? কিমান নিবনুৱাক চাকৰি দিয়া হ'ল? কিমান নতুন মাটিত জল সিঞ্চনৰ ব্যৱস্থা কৰা হ'ল? জন-মূৰি আয় কিমান বৃদ্ধি হ'ল? ইত্যাদি। এই সকলো প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কব খুজিছে যে এইবোৰৰ কোনো ক্ষেত্ৰতে তেওঁৰ চৰকাৰে এতিয়ালৈকে বিশেষ একো উল্লেখযোগ্য কাম কৰিব পৰা নাই সঁচা, কিন্তু আটাইতকৈ ডাঙৰ কামটো—অৰ্থাৎ শুদ্ধ পথত তেওঁলোকে আগবাঢ়িছে। এক কথাত ক'বলৈ গ'লে এই কৃতিত্বৰ দাবী এক বিৰাট ধাপ্পা-বাজী। শুদ্ধ পথ বাছি লোৱাৰ মহৎ দায়িত্ব ইতিহাসে অসমৰ মুখ্যমন্ত্ৰীলৈ এৰি থোৱা নাই। ১৯৬৯ চনত কংগ্ৰেছৰ বিভাজন হোৱাৰ মূল কাৰণ এই নাছিল যে তাৰ আগতে বা জৱাহৰলাল নেহৰুৰ আমোলত কংগ্ৰেছে শুদ্ধ পথ বিচাৰি পোৱা নাছিল; কংগ্ৰেছ বিভক্ত হোৱাৰ মূল যুক্তি এয়েই আছিল যে দলৰ ৰক্ষণশীল নেতৃত্বই কংগ্ৰেছৰ প্ৰগতি-শীল কাৰ্য্য-সূচীক বাস্তৱত ৰূপ দিবলৈ অস্বীকাৰ কৰিছিল। নতুন নেতৃত্বৰ হাতত শুদ্ধ পথ বাছি লোৱাৰ দায়িত্ব নাছিল, তেওঁলোকৰ একমাত্ৰ দায়িত্ব আছিল সেই শুদ্ধ পথত যথাসম্ভৱ দ্ৰুতগতিৰে আগবাঢ়ি যোৱা, অৰ্থাৎ কাম কৰি দেখুওৱা। কিন্তু আজি শ্ৰীশৰৎ সিংহই দুবছৰৰ ভিতৰতো একো এটা উল্লেখযোগ্য কাম কৰাৰ প্ৰমাণ দেখুৱাব নোৱাৰি কেৱল শুদ্ধ পথত আগবাঢ়িছোঁ বুলি দাবী কৰিলেই ৰাইজ সন্তুষ্ট হৈ থাকিবনে? এটা মাত্ৰ উদাহৰণ লোৱা যাওক। ভূমি সংস্কাৰৰ ক্ষেত্ৰত অসমৰ আগৰ কংগ্ৰেছী চৰকাৰবোৰেও নানা প্ৰগতি-শীল আইন পাছ কৰা নাছিলনে? আজিৰ কৃষি-নিগমৰ নিচিনাকৈ চলিহা মন্ত্ৰীসভায়ো পথাৰ পৰিচালনা সমিতি স্থাপন কৰা নাছিলনে? আমি এতিয়া শ্ৰীশৰৎ সিংহৰ পৰা ভূমি সংস্কাৰৰ ক্ষেত্ৰত in the right direction আগ বঢ়াৰ প্ৰমাণ নিবিচাৰোঁ, আমি জানিবলৈ বিচাৰো—তেওঁৰ আমোলত যোৱা দুবছৰৰ ভিতৰত কিমান মাটিহীন মানুহক নতুনকৈ মাটি দিয়া হ'ল? এই ক্ষেত্ৰত আগৰ 'প্ৰতিক্ৰিয়া-শীল' কংগ্ৰেছী চৰকাৰৰ লগত তেওঁৰ 'প্ৰগতিশীল' চৰকাৰৰ পাৰ্থক্য কি?

চেখভৰ Uncle Vanya নামৰ নাটকত এটা পুতৌ লগা চৰিত্ৰ আছে। তেওঁ এজন লিখক বা অধিক শুদ্ধকৈ ক'বলৈ গ'লে লিখক যশো-প্ৰাৰ্থী। ঘৈণীয়েকক তেওঁ সদায় কৈ থাকে যে তেওঁ এখন মহৎ গ্ৰন্থ ৰচনাত ব্যস্ত আছে, সংসাৰৰ তুচ্ছ কথাৰ প্ৰতি চকু দিবলৈ তেওঁৰ সময় নাই। আজলী ঘৈণীয়েকেও বিশ্বাস কৰে যে তেওঁৰ গিৰীয়েক সঁচাকৈয়ে এজন মহৎ লিখক, সেই কাৰণে গিৰীয়েকক সংসাৰৰ কোনো চিন্তাৰ ভাগ নিদি বেচেৰীয়ে অকলেই লেদেনা উকটি সংসাৰৰ সমস্ত দায়িত্ব বহন কৰে। মহৎ গ্ৰন্থ ৰচনাৰ নামত গোটেই জীৱন ঘৈণীয়েকৰ পৰা ত্যাগ আৰু সেৱা-শুশ্ৰূষা আদায় কৰি জীৱনৰ আবেলি পৰত মানুহজনে আবিষ্কাৰ কৰিলে যে তেওঁৰ বিন্দুমাত্ৰ সাহিত্য-প্ৰতিভা নাই; গোটেই জীৱন ধৰি তেওঁ যি লিখিলে, সি বকবাণিত পেলাই দিব লগা আবৰ্জনাৰ বাহিৰে আন একো নহয়। অথচ তাৰ কাৰণেই ঘৈণীয়েকৰ গোটেই জীৱনটো এক নিষ্ফল ত্যাগত সম্পূৰ্ণৰূপে অপচয়িত হৈ গ'ল।

শ্ৰীশৰৎ সিংহয়ো অসমৰ ৰাইজৰ অৱস্থা ঠিক তেনেকুৱাই কৰিব খোজে নেকি?

চিন্তাজগত-১

ভাব বা চিন্তা কিহক কয়? ইয়াৰ সংজ্ঞা দিয়া সহজ নহয়। কাৰণ চিন্তাৰ সকলো সংজ্ঞাই চিন্তাৰ অন্তৰ্গত। ইয়েই আমাৰ সকলো জ্ঞানৰ আৰম্ভণি আৰু ইয়েই আমাৰ অস্তিত্বৰ শেষ ৰহস্য। আন সকলো কথাই ভাবৰ বিভিন্ন ৰূপ মাত্ৰ আৰু ভাবেই হ'ল সকলো মানৱীয় সিদ্ধিৰ উৎস আৰু লক্ষ্য। মানুহৰ জীৱনত যেতিয়াই চিন্তাৰ আবিৰ্ভাৱ ঘটিল, তেতিয়াই বিবৰ্ত্তনৰ নাটকৰ এটা বিৰাট পৰিবৰ্ত্তনৰ সূচনা হ'ল।

এই মিৰাকলৰ কেতিয়া আৰম্ভণি হ'ল। ইয়াৰ আৰম্ভণি হ'ল বোধকৰো তেতিয়াই যেতিয়া মেৰু প্ৰদেশৰ বিৰাট হিমপ্ৰবাহ অপ্ৰতিহত গতিৰে নামি আহিল, বায়ুমণ্ডল সি শীতাৰ্ত কৰি তুলিলে, সমস্ত অৰণ্য ধ্বংস কৰি পেলালে, অগণিত অসহায় জীৱ-কুল নিশ্চিহ্ন কৰি পেলালে, আৰু অৱশিষ্ট জীৱিত প্ৰাণীবোৰক আনি সংকীৰ্ণ গ্ৰীষ্ম-মণ্ডলত থুপ খোৱালে, আৰু সিহঁতে বহু পুৰুষ ধৰি উত্তৰৰ ক্ৰোধ-স্বৰূপ হিম-প্ৰবাহ গলি যোৱালৈ অপেক্ষা কৰি বিষুৱ-ৰেখাক কামুৰি পৰি থাকিল। সেই সংকটময় দিনবোৰত সকলো প্ৰাচীন অভ্যস্ত জীৱন-ধাৰাক আক্ৰমণ-কাৰী হিম প্ৰবাহে উলট-পালট কৰি পেলালে, আৰু পৰিবৰ্তিত পৰিস্থিতিত পৰম্পৰাগত আচৰণ বা অভ্যাসৰ কোনো ভৱিষ্যত নোহোৱা হৈ পৰিল। সেই সময়ত যিবোৰ প্ৰাণীয়ে নিজৰ অভ্যাস আচৰণ সলনি কৰিব নোৱাৰিলে, সিহঁত পৃথিৱীৰ বুকুৰপৰা নিশ্চিহ্ন হৈ গ'ল, কাৰণ সিহঁতে বাহিৰৰ পৰিবৰ্তনৰ মুখামুখি হ'ব পৰাকৈ নিজৰ ভিতৰত একো পৰিবৰ্তন ঘটাব নোৱাৰিলে। কিন্তু সেই সময়তে আমি যাক মানুহ বুলি কওঁ সেই নমনীয় স্বভাৱ-বিশিষ্ট প্ৰাণীটোৱে জুইৰ ব্যৱহাৰ শিকিলে, আহাৰ ৰান্ধি খাবলৈ আৰু কাপোৰ পিন্ধিবলৈ শিকিলে, বতৰৰ লগত যুঁজ কৰি জীয়াই থকাৰ ক্ষমতা আয়ত্ত কৰিলে, আৰু অৱশেষত সি অৰণ্য আৰু পথাৰৰ অন্যান্য সকলো প্ৰাণীৰ ওপৰত নিজৰ সৰ্বময় প্ৰভুত্ব প্ৰতিষ্ঠা কৰিলে।

আমাৰ ধাৰণা মতে ঠিক এনে এটা জীৱন-মৰণ সংকটৰ সময়তে মানুহৰ যুক্তিবাদী চিন্তাৰ সূচনা হ'ল। সদ্যোজাত পশুতকৈ সদ্যোজাত মানৱ-শিশু সদায় দুৰ্বল আৰু অসহায়, কিন্তু সি যিহেতু সহজাত প্ৰবৃত্তিক পৰিবেশৰ লগত খাপ খোৱাই লব পাৰে, সেই কাৰণে সি সদায় অভিজ্ঞতাৰ পৰা শিক্ষা আহৰণৰ ক্ষমতা অৰ্জন কৰে। তাৰ স্বভাৱৰ এই নমনীয়তাই মানুহক আৰু অন্যান্য উচ্চস্তৰৰ স্তন্য-পায়ী জীৱক ধ্বংসৰ হাতৰ পৰা ৰক্ষা কৰিলে; আনহাতে অসীম শক্তিশালী বিৰাট প্ৰাগৈতিহাসিক জন্তুবোৰ হিম-প্ৰবাহৰ কবলত পৰি চিৰকাললৈ নিশ্চিহ্ন হৈ গ'ল। জাৰত কঁপি কঁপি সিহঁত মৰি থাকিল; কিন্তু মানুহ, ক্ষুদ্ৰকায় মানুহ, বাচি থাকিল। চিন্তা আৰু আবিষ্কাৰৰ আৰম্ভ হ'ল। হত-বুদ্ধি প্ৰবৃত্তিৰ বিমূঢ়তাই জন্ম দিলে প্ৰথম ভীৰু আনুমানিক সিদ্ধান্তৰ, জন্ম দিলে দুইৰ লগত দুইক যোগ কৰি চোৱা কল্পনাৰ, জন্ম দিলে প্ৰথম সাধাৰণী-কৰণৰ, কাৰ্য্য কাৰণ সম্পৰ্কৰ বিশ্লেষণৰ সহজাত প্ৰবৃত্তিয়ে মোকাবিলা কৰিবলৈ অভিজ্ঞতা-লব্ধ জ্ঞানৰ প্ৰয়োগৰ। ঠিক সেই সময়তে মানুহৰ কেতবোৰ কামৰ প্ৰবৃত্তি চিন্তাৰ প্ৰক্ৰিয়া আৰু বুদ্ধিৰ সৰঞ্জামত পৰিণত হ'ল। চিকাৰৰ প্ৰতীক্ষা পৰিণত হ'ল মনোযোগত; ভয় আৰু পলায়ন পৰিণত হ'ল সতৰ্কতা আৰু চিন্তাত; কাজিয়া আৰু আক্ৰমণ পৰিণত হ'ল কৌতূহল আৰু বিশ্লেষণত; কৌশল পৰিণত হ'ল পৰীক্ষা-নিৰীক্ষাত। জন্তু পোন হৈ থিয় হ'ল আৰু সি হ'ল মানুহ। এতিয়াও সি হাজাৰটা পৰিস্থিতিৰ দাস, অগণিত বিপদৰ সমুখত সি এতিয়াও ভীৰু ভাবে সাহসী, কিন্তু সেই ভংগুৰ পথেৰেই সি আগবাঢ়িল সমগ্ৰ পৃথিৱীৰ অধীশ্বৰ হ'বলৈ।

সাপ্তাহিক নীলাচল, ২৬৯ সংখ্যা : ৬ মার্চ, ১৯৭৪ চন

কাছাৰৰ সমাচাৰ

যোৱা সপ্তাহত দুর্মুখ নীলাচলত নাছিল। মুখত সোপা দি চকু-কাণ আৰু নাকটো খোলা ৰাখি দুর্মুখ ঘূৰি ফুৰিছিল বৰাকৰ পাৰে পাৰে, শ্রীমহীতোষ পুৰকায়স্থৰ ভাগ্যৰ শম খেদি। ৰাজ্য মন্ত্রীসভাৰপৰা বহিষ্কৃত আৰু বিধান সভাৰ কর্তৃক তিৰস্কৃত শ্রীপুৰকায়স্থক তেওঁৰ পার্টিয়ে সদনলৈ পঠাই পুৰস্কৃত কৰাৰ মতলব কৰিছিল। পিচে ফলাফল কি হৈছে আপোনালোকে জানেই। জানে যে মাৰ্ক্সবাদী কমিউনিষ্ট পার্টিৰ প্রতিদ্বন্দ্বী শ্রীনুৰুল হুদাই শ্রীপুৰকায়স্থক প্রায় কুৰি হাজাৰ ভোটত বেয়াকৈ পৰাজিত কৰিছে।

গতিকেই ইমান দিনলৈকে কাছাৰৰ বিশিষ্ট নেতা বুলি যি পুৰকায়স্থ অসমত আৰু দিল্লীতো পৰিচিত আছিল, অন্ততঃ কিছুদিনৰ কাৰণে হ'লেও ৰাজনৈতিক আকাশত তেওঁ অস্ত গ'ল। অৱশ্যে বিধিৰ বিধান কোনেও নাজানে। শ্রীমতী গান্ধীৰ দৌলতত পুৰকায়স্থই যদি নিশাৰ আকাশত আকৌ চন্দ্র হৈ এটা মিচিকিয়া হাঁহি মাৰে নাইবা ৰাজনৈতিক আকাশত কোনো এটা ৰাতিপুৱাত ভাস্বৰ সূৰ্য্যৰ দৰে জিলিকি উঠে তেনেহ'লে বিস্ময়ৰ একো নাই। ভাৰতৰ ৰাজনৈতিক জগতত নিশাৰ এন্ধাৰত থকা ৰাইজে প্রতিনিয়ত হেজাৰ হেজাৰ বিস্ময়কৰ ঘটনা লক্ষ কৰি কৰি এতিয়া এনে এটা অৱস্থাত উপনীত হৈছেহি যে 'বিস্ময়' বুলি কথাটোকেই পাহৰি যাবলৈ ধৰিছে। এই কথাষাৰ কোৱাৰ কাৰণ, মই শিলচৰত শুনি আহিছো যে পুৰকায়স্থ সোনকালে দিল্লীলৈ যাব – কিয়নো, প্রধান মন্ত্রীয়ে আৰু সদৌ ভাৰত শাসকদলৰ অধ্যক্ষই বোলে তেওঁৰ মুখৰপৰা তেওঁৰ পৰাজয়ৰ কাৰণ শুনিবৰ বাবে তেওঁক মাতি পঠিয়াইছে।

ৰাজধানীত গৈ হাইকমাণ্ডৰ আগত শ্রীপুৰকায়স্থই কি ৰিপোর্ট দিব, ক'ব নোৱাৰো। কিন্তু ৰিপোর্ট দিয়াৰ দায়িত্ব যদি দুর্মুখক দিলেহেঁতেন, শ্রীহীন দুর্মুখে শ্রীমতী গান্ধীক জনাই দিলেহেঁতেন যে অলপতে হোৱা সংসদৰ উপ-নির্বাচনে এইটোৱেই দেখুৱাইছে যে কাছাৰত অকল মহীতোষ পুৰকায়স্থৰে নহয়, সিংহ চৰকাৰৰো, আনকি শ্রীমতী গান্ধী-লাঞ্ছিত সদৌ ভাৰত কংগ্রেছৰো প্রতিপত্তি নাইকিয়া হ'ব ধৰিছে। অৱশ্যে, উপ নির্বাচনত চি-পি-এমৰ প্রতুল সাফল্য হৈছে যদিও (মুঠ গ্রাহ্য ভোট ১,৩৮,১৫৩। তাৰ ভিতৰত শ্রীহুদাই পাইছে ৭৪,১৮০ আৰু শ্রীপুৰকায়স্থকে আদি কৰি বাকী চাৰিজনে প্রার্থীয়ে সর্বসংকুল্যে ৬৩,৯৭৩ টা ভোট), তথাপি কাছাৰৰ সৰহভাগ ৰাইজে এতিয়াই চি-পি-এমৰ ৰাজনীতি মানি লৈছে বুলি ক'ব নোৱাৰি। কিন্তু, কংগ্রেছৰ প্রতি ৰাইজৰ আস্থাপ্রীতি যে বহুত পৰিমাণে কমি গৈছে আৰু কমি গৈ আছে, চি-পি-এমৰ জয়ে তাকে সূচাইছে। ভৱিষ্যতত কাছাৰৰ সংখ্যাগৰিষ্ঠ দল চি-পি-এমৰ নিচিনা কোনো চৰম বাওঁপন্থী দল নাইবা জনসংঘ, মুছলিম লীগৰ নিচিনা উগ্র সাম্প্রদায়িক কোনো সন্থা হ'ব, কোৱা নাযায়। কিন্তু বর্তমান নীতিৰ আৰু কর্মপন্থাৰ আমূল পৰিবর্তন নহ'লে কংগ্রেছে যে অচিৰে এটা সংখ্যালঘু দলত পৰিণত হ'ব সেইটো ডাঠি কব পাৰি। ঊনৈশ শ সাতষষ্ঠিৰ পৰা চি-পি-এমে অসমত বাৰে বাৰে কেবাটাও এছেমব্লি আৰু পার্লিয়ামেণ্টৰী আসনৰ কাৰণে প্রতিদ্বন্দ্বিতা কৰি আহিছে, কিন্তু ইমান দিনলৈকে ক'তো একো পাত্তা পোৱা নাছিল। পিচত পার্টিৰ ভাগ্য মুকলি হ'ল সৌ সিদিনা গুৱাহাটী পৌৰ নিগমৰ নির্বাচনত। কাছাৰৰ স্বাধীনতাৰ আগৰ পৰাই যি কমিউনিষ্ট পার্টিয়ে কাম কৰি আছিল, পিচত তাৰ এটা বুজন অংশই চি-পি-

এমলৈ ৰূপান্তৰিত হ'ল। তথাপি কাছাৰতো পাৰ্টিটো কোনো নিৰ্বাচনতেই জিকিব পৰা নাই। বাসত্তৰ চনৰ সাধাৰণ নিৰ্বাচনত বিধানসভাৰ শিলচৰ চক্ৰত চি-পি-এমৰ ৰাজ্যিক মুৰব্বী শ্ৰীঅচিন্ত্য ভট্টাচাৰ্য্যই শ্ৰীমহীতোষ পুৰকায়স্থৰ লগত যুঁজি ষোল হেজাৰতকৈয়ো কম ভোট পাইছিল। একে সময়তে শ্ৰীনুৰুল হুদাই লক্ষীপুৰ চক্ৰত কংগ্ৰেছ প্ৰাৰ্থী শ্ৰীশুভঙ্কৰ সিংহৰ হাতত ন' হেজাৰৰো বেছি ভোটত হাৰিছিল।

পাৰ্টিৰ এই আকস্মিক সাফল্যৰ কাৰণ ব্যাখ্যা কৰি চি-পি-এম অসম শাখাৰ চেক্ৰেটাৰী শ্ৰীঅচিন্ত্য ভট্টাচাৰ্য্যই ২৬ ফেব্ৰুৱাৰীৰ ৰাতি এটা বিবৃতি দিছিল। তাত তেওঁ কৈছে সংসদীয় শিলচৰ চক্ৰৰ মানুহবোৰ কংগ্ৰেছৰ গণ-বিৰোধী নীতিৰ ফলত অসন্তুষ্ট আৰু সেয়ে তেওঁলোকে এটা পৰিবৰ্তন বিচাৰিছে। শ্ৰীভট্টাচাৰ্য্যই কোৱা মতে আনবোৰ কাৰণৰ ভিতৰত আছে কংগ্ৰেছৰ ভিতৰুৱা কাজিয়া, দ্ৰব্যমূল্যৰ বৃদ্ধি, নিবনুৱা সমস্যা, খেতিয়কৰ মাটিহীনতা আৰু সাম্প্ৰদায়িক সংখ্যালঘুৰ গণতান্ত্ৰিক অধিকাৰৰ প্ৰতি কংগ্ৰেছ চৰকাৰৰ অৱজ্ঞাপূৰ্ণ মনোভাব। মোৰ মতে এই বিশ্লেষণ সঠিক হৈছে। পিছে, মই হ'লে এইবোৰক চি-পি-এমৰ সাফল্যৰ কাৰণ হিচাবে নকৈ কংগ্ৰেছৰ বিপৰ্য্যয়ৰ কাৰণ বুলিহে ক'বলৈ বিচাৰো কিয়নো, শিলচৰ চক্ৰৰ অধিকাংশ ভোট চি-পি-এমএ পাইছে যদিও বাকী তিনিজন নিৰ্দলীয় প্ৰাৰ্থীয়ে পোৱা ভোটৰ পৰিমাণো অৱস্থাৰ বিবেচনাত নিচেই কম নহয়। যি চাহবাগিচা অঞ্চলত আই-এন-টি-ইউ-চিৰ নামত কংগ্ৰেছৰ একচেটিয়া প্ৰভাৱ আছিল (উধাৰবন্দ অঞ্চলত বাসত্তৰ চনত কংগ্ৰেছ প্ৰাৰ্থী আই-এন-টি-ইউ-চি নেতা শ্ৰীজগন্নাথ সিংহ বিনা প্ৰতিদ্বন্দ্বিতাৰে জিকি গৈছিল), তাতে এইবাৰ নিৰ্দলীয় তিনিগৰাকী প্ৰাৰ্থীয়েও বহুত ভোট পালে। তাৰে ভিতৰতে এজনে কিন্তু ভোট গ্ৰহণৰ দহদিনমান আগতেই শ্ৰীহুদাৰ সপক্ষে নিৰ্বাচন-যুঁজ এৰি দিছিল; আন এজনৰ কোনো প্ৰচাৰ-পত্ৰ, পোষ্টাৰ আদি কোনো প্ৰকাশ্য ঠাইত দেখা নগৈছিল।

যি যি ইচ্যু অথবা প্ৰশ্নৰ ওপৰত চি-পি-এমএ নিৰ্বাচনী প্ৰচাৰ চলাইছিল, তাৰ ভিতৰত ঘাইকৈ ভাষাৰ প্ৰশ্নটোও আছিল। অথচ অকল ভাষাৰ প্ৰশ্ন আৰু তাৰেই 'কৰোলাৰি' অৰ্থাৎ আনুসঙ্গিক হিচাবে কাছাৰক অসমৰপৰা বিচ্ছিন্ন কৰিব লাগে বুলি দাবী তুলি সংগ্ৰাম পৰিষদৰ অধ্যক্ষ শ্ৰীদ্বাৰিকা নাথ তেৱাৰীয়ে (দেখাত নিৰ্দলীয়) প্ৰাৰ্থী, যিহেতু নিৰ্বাচনী কমিচনে সংগ্ৰাম পৰিষদক পাৰ্টি হিচাপে স্বীকৃতি দিয়া নাই) একেলগে কংগ্ৰেছ আৰু চি-পি-এমৰ প্ৰতিদ্বন্দ্বিতা কৰিলেও ভোট পালে মাথোন ৫,৬৫১ টাহে। গতিকেই ভাষাৰ প্ৰশ্নটোও কংগ্ৰেছে নাইবা শ্ৰীপুৰকায়স্থই বেছি নাইবা কম ভোট পোৱা নোপোৱাৰ আচল কাৰণ নহয়। বৰ্তমান এম-পি আৰু প্ৰাক্তন মন্ত্ৰী শ্ৰীমইনুল হক চৌধুৰীয়ে কোৱামতে কাছাৰৰ বাঙালী হিন্দুৱে নাইবা মুছলমান সম্প্ৰদায়ে বাংলা ভাষা কেতিয়াও এৰি নিদিয়ে। অথচ যিটো সম্প্ৰদায়ৰ লোকে তেওঁৰ ধাৰণামতে অকল নিবনুৱা সমস্যা আংশিকভাৱে হ'লেও সমাধানৰ বাবে অসমীয়া স্কুল খুলি তাতে শিক্ষকতাৰ কাম বিচাৰে, সেই মৈইটি মণিপুৰী অধ্যুষিত লক্ষ্মীপুৰ চক্ৰত কিন্তু চি-পি-এমএ ভালেমান ভোট পাইছে। তাত কোনেও 'ভোট বৰ্জন' আন্দোলন কৰা নাই। সেই আন্দোলন হৈছিল সোনাই চক্ৰৰ দুই এখন ঠাইত। পাচত খবৰ পাই সেই অঞ্চলৰ এম-এল-এ নুৰুল হক চৌধুৰীয়ে ভোটদাতাসকলক বুজাওঁতে সেই ঠাইবোৰৰ কিছুমান ভোটাৰে বোলে শেষ মুহূৰ্তত গৈ ভোট-কেন্দ্ৰৰ কাষ চাপিলে। অৱশ্যে সোনাই চক্ৰৰ আন আন অঞ্চলৰ ভোটাৰবিলাকে খুব উৎসাহেৰেই ভোট দিছে বুলি কব পাৰি। কিয়নো মুছলমান-অধ্যুষিত এই চক্ৰতেই শ্ৰীহুদাই আটাইতকৈ বেছি ভোট সংগ্ৰহ কৰে।

মুঠ ছটা বিধান সভাচক্ৰৰ (যিবোৰক লৈ লোক সভাৰ উপ-নিৰ্বাচন সমষ্টি গঠিত হৈছিল) ভিতৰত শ্ৰীহুদাই পুৰকায়স্থতকৈ বেছি ভোট পায় শিলচৰ চহৰ চক্ৰ, সোনাই আৰু লক্ষীপুৰ চক্ৰত। এই তিনিটা চক্ৰৰ

ভোটাৰবিলাকৰ ৰাজনৈতিক, সাম্প্ৰদায়িক সম্ভাব্য সচেতনতাৰ পিনে লক্ষ্য ৰাখি ধৰিব পাৰি যে শ্ৰীহ্মদাই ভোট কাঢ়িছে একাধাৰে চি-পি-এম, মণিপুৰী আৰু মুছলমান হিচাবে। লগতে এইটোও লেখত লবলগীয়া কথা যে বাসত্তৰৰ তুলনাত এইবেলি অতি কম সংখ্যক মানুহে ভোট দিছে, যদিও নক'লেও হ'ব যে তুলনাত ভোটাধিকাৰপ্ৰাপ্ত মানুহৰ সংখ্যা এইবাৰহে বেছি আছিল। মই শুনামতে ইপিনে আকৌ ভুৱা ভোটৰ সংখ্যা বোলে এইবাৰেই বেছি। এইবোৰ কথা চালি-জাৰি চালেই কাছাৰৰ এইবাৰৰ ভোট ৰহস্য বুজা যাব। এই পৰাজয় অকল মহীতোষ পুৰকায়স্থৰ পৰাজয় বুলি ক'লে ভুল হ'ব। কাছাৰৰ ভাষা আন্দোলনৰ পৰাজয় হৈছে বুলিও ক'ব নোৱাৰি। কিয়নো, তেতিয়াহ'লে চি-পি-এম জিকাৰো কোনো অৰ্থ নাথাকে। চি-পি-এমে তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰত ভাষা সম্পৰ্কে কি কৈছিল, শুনক : "কংগ্ৰেছৰ ভাষানীতিৰ বিৰুদ্ধে জনগণৰ সংগ্ৰামক তেওঁৰেই (পুৰকায়স্থৰ) নেতৃত্বত তেওঁৰ আৰু কেইজনমান ভাষা-আন্দোলনৰ নেতাৰ চহীৰ মাধ্যমত পঞ্চচুক্তিৰে ধ্বংস কৰা হৈছে। তাতে কাছাৰত বাধ্যতামূলক অসমীয়া প্ৰবৰ্তনো কাৰ্য্যতঃ মানি লোৱা হৈছে। এইবাৰ তেওঁ সেই কংগ্ৰেছৰেই প্ৰাৰ্থী হৈ লোকসভাত থিয় হৈছে। সকলো অৱস্থাতেই তেওঁ কংগ্ৰেছৰ নীতিবোৰকেই কাৰ্যকৰী কৰি আছে। ইয়াত ব্যক্তিৰ প্ৰশ্ন নাই।"

সেই গতিকেই কৈছিলো পৰাজয়টো হৈছে গোটেই কংগ্ৰেছৰ। আৰু কংগ্ৰেছৰ এই পৰাজয়ৰ বহুবিধ কাৰণৰ ভিতৰত কাছাৰ কংগ্ৰেছৰ আভ্যন্তৰীণ কন্দল স্থানীয়ভাবে এটা ঘাই কাৰণ। সেই জিলাৰ এম-এল-এ, এম-পি প্ৰমুখ্যে বিভিন্ন স্তৰৰ নেতৃবৃন্দৰ ভিতৰত পাৰস্পৰিক ঈৰ্ষা, কাক খেদি কোনে মন্ত্ৰী হ'ব নাইবা অদূৰ ভৱিষ্যতত এম-পি হ'ব (পাৰিলে আকৌ মন্ত্ৰী), আৰু এইবোৰ উদ্দেশ্যক মনত ৰাখি এতিয়া কণ্ড কি ষ্ট্ৰেটেজি লব লাগিব — এই ধৰণৰ এশ এটা কাৰণত, তদুপৰি বিৰোধী শক্তিবোৰৰ ৰাজনৈতিক নাইবা ব্যক্তিতান্ত্ৰিক হেঁচাত পৰি কাছাৰ কংগ্ৰেছ আজি ধ্বংসৰ কৰালত। স্বাধীনতাৰ আগৰ পৰা যি ব্যক্তিসকল কংগ্ৰেছত আছিল, তেওঁলোকৰ বহুতেই হয় ইতিমধ্যে ঢুকাইছে নাইবা আন কাৰণত কংগ্ৰেছত নাই। স্বাধীনতাৰ পিচত যিবোৰ মানুহ নানা স্বাৰ্থত দলে দলে কংগ্ৰেছত সোমাইছিল, সিবোৰৰ ভিতৰতো আনকি নেতৃস্থানীয় ব্যক্তিয়েও ভাল-বেয়া বিভিন্ন কাৰণত কংগ্ৰেছ কাৰ্য্যতঃ এৰি দিছে নাইবা এৰিব বিচাৰিছে। আকৌ কিছুমানে আকাংক্ষিত বস্তু নাইবা মৰ্যাদা লাভ কৰাৰ আত্মতৃপ্তিৰ দিবানিদ্ৰাত বিভোৰ হৈ পাৰ্টিৰ স্বাৰ্থটোকেই বিস্মৰি আছে। চহৰ আৰু গাঁও অঞ্চলৰ শিক্ষিত মধ্যবিত্তৰ মাজত স্থায়ী পাৰ্টি কৰ্মী ('কেডাৰ') গঠনৰ কোনো চেষ্টা নাই, খেতিয়কৰ মাজত বাওঁপন্থী আন আন পাৰ্টিৰ নিচিনাকৈ কংগ্ৰেছৰ কোনো সংগঠন নাই। চহৰ অঞ্চলৰ শ্ৰমজীৱী মানুহৰ মাজত বাওঁপন্থী দলসমূহৰ লগে লগে জনসংঘইও নতুন নতুন ট্ৰেড ইউনিয়ন গঠন কৰি আছে, কিন্তু আই-এন-টি-ইউ-চিৰ কংগ্ৰেছী নেতৃবৃন্দ সম্ভবতঃ নিশ্চিন্ত আছিল এই ভাবি যে বাগিচাৰ শ্ৰমিকৰ ওপৰত তেওঁলোকৰ আধিপত্য একচ্ছত্ৰ। সেই সাম্ৰাজ্যতো বৈৰী সোমাল। এনে অৱস্থাত কাছাৰ গোৱালপাৰা হব জানো? মোৰ ধাৰণা নহয়। কিয়নো, কাছাৰৰ পৰা কোনোৱা মুখ্যমন্ত্ৰী নৌহওঁতেই সেই জিলাত কংগ্ৰেছ নোহোৱা হ'ব।

দেশৰ ছবি

গোলাঘাট জিলা কংগ্ৰেছৰ এখন সভাত ভাষণ দি কংগ্ৰেছ দলৰ সংসদী সদস্য শ্ৰীধৰণীধৰ দাসে দুর্নীতিপৰায়ণ লোকৰ প্ৰতি চৰকাৰৰ সহৃদয়তাৰ কথা নিন্দা কৰি কয় যে খাদ্য-সামগ্ৰীৰ বিতৰণ আৰু মূল্য নিৰ্ধাৰণ কৰা কাৰ্য্যত চৰকাৰে ব্যৱসায়ী শ্ৰেণীটোৰ নিৰ্দেশ মতে চলি আহিছে। .... গুৱাহাটী ফাঁচী-বজাৰৰপৰা খাদ্য-সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ আৰু বিতৰণ আদি কাৰ্য্যত চৰকাৰক দিহা-পৰামৰ্শ দিয়া হয়। ফাঁচী-বজাৰৰ ব্যৱসায়ী শ্ৰেণীয়ে চৰকাৰ পৰিচালনা কৰাত আগভাগ লৈ আহিছে।

— দৈনিক অসম

ৰাষ্ট্ৰীয়কৰণ হোৱাৰ দিনৰপৰা বেংকৰ কাৰ্য্যাৱলীৰ এটি পৰ্য্যালোচনা কৰি কেন্দ্ৰীয় বিত্ত-মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে ১৯৭২ চনৰ ২৯ ডিচেম্বৰলৈকে ৰাষ্ট্ৰীয়কৃত বেংকসমূহে বৃহৎ আৰু মজলীয়া উদ্যোগবোৰক সৰ্বমুঠ ২৯১০ কোটি টকা (শতকৰা ৫২.৪ ভাগ) ধাৰলৈ দিছে; আনহাতে ক্ষুদ্ৰ উদ্যোগলৈ দিয়া ধাৰৰ পৰিমাণ মাত্ৰ ৬৫৯ কোটি টকা (শতকৰা ১১.৯ ভাগ)।

— পেট্ৰিয়ট্ : ২৬ জানুৱাৰী

শ্ৰীমতী গান্ধীৰ মতে দেশত বয়-বস্তুৰ দাম বৃদ্ধি পালেও ভয় পাবৰ একো কাৰণ নাই, কাৰণ "পৃথিৱীৰ সকলো দেশতেই বস্তুৰ দাম বাঢ়িছে।" বাস্তৱ তথ্যপাতিৰপৰা দেখা যায় যে যোৱা ১০/১১ বছৰত পৃথিৱীৰ সমাজতান্ত্ৰিক দেশবোৰত—যেনে চোভিয়েট ৰুচিয়া, চীন, ৰুমানিয়া, উত্তৰ কোৰিয়া, উত্তৰ ভিয়েটনাম, হাংগাৰী আদি কোনো দেশতেই ব্যৱহাৰিক দ্ৰব্যৰ দাম মুঠেই বঢ়া নাই, অথচ জনসাধাৰণৰ আয় বাঢ়িছে শতকৰা ৩০/৪০ ভাগ। কেৱল পুঁজিবাদী দেশবোৰতহে বস্তুৰ দাম বাঢ়িছে। কিন্তু পৃথিৱীৰ কোনো দেশতেই ভাৰতৰ দৰে বস্তুৰ দাম বঢ়া নাই। উদাহৰণ স্বৰূপে—১৯৭২-৭৩ চনত বৃটেইনত দাম বাঢ়িছে শতকৰা ৯ ভাগ; ফ্ৰান্সত শতকৰা ৬.৫ ভাগ; বেলজিয়ামত শতকৰা ৭ ভাগ; পশ্চিম জাৰ্মানীত শতকৰা ৭.৫ ভাগ; জাপানত শতকৰা ৮ ভাগ; আমেৰিকা যুক্তৰাষ্ট্ৰত শতকৰা ৫ ভাগ, কিন্তু ভাৰতত বাঢ়িছে শতকৰা ১০০ ভাগ।

— গণশক্তি : ৭ ফেব্ৰুৱাৰী

গোৱালপাৰা জিলাৰ উত্তৰ-পাৰ অঞ্চলত ধান-চাউলৰ বৰ্তমান দামে তাৰ ধান-চাউল কিনি খোৱা ৰাইজৰ মাজত এক সন্ত্ৰাসৰ সৃষ্টি কৰিছে, আৰু বহুতো লোকে এতিয়াৰপৰাই মিঠা-আলু আদি খাবলৈ আৰম্ভ কৰিছে।

— দৈনিক অসম : ২৩ ফেব্ৰুৱাৰী

কামৰূপ জিলাৰ গুৱালকুছি অঞ্চলত বৰ্তমান চাউলৰ মূল্য কিলোগ্ৰামে প্ৰতি ২.৫০ টকালৈ বৃদ্ধি পাইছে।

— দৈনিক অসম : ১২ ফেব্ৰুৱাৰী

পুৰুষ-তিৰোতা ডেকা-বুঢ়াকে ধৰি আজি গুজৰাটত ১৫ জন মানুহক গুলিয়াই মৰা হয়। কংগ্ৰেছী শাসকসকলৰ মতে আইন শৃংখলা ৰক্ষাৰ কাৰণে এই হত্যা-কাণ্ডৰ প্ৰয়োজন হৈছে। তেওঁলোকে কয় :

"ধৈৰ্য্য ধৰা, 'ভোক সহ্য কৰা', 'ল'ৰা-ছোৱালীবোৰ অনাহাৰত মৰিবলৈ ধৰাটো চাই থাকা', 'আইন নিজৰ হাতত তুলি নলবা', 'তোমাক খাবলৈ দিয়াটো 'আইন'ৰ কাম নহয়; আইনে এইটোকে ঠিক কৰিছে যে তোমাক অনাহাৰত ৰাখি জমিদাৰ আৰু ব্যৱসায়ীৰ লাভ কৰিবলৈ অধিকাৰ আছে; তুমি যদি তাৰ প্ৰতিবাদ কৰা, তেন্তে 'শৃংখলা' ৰক্ষাৰ কাৰণে তোমাক গুলিয়াই মৰা হ'ব।"

— পিপ্‌লচ্ ডেমক্ৰেচি : ২০ জানুৱাৰী

কামৰূপ জিলাৰ বিভিন্ন ঠাইত কেৰাচিন তেলৰ দাম লিটাৰে প্ৰতি দুই টকালৈকে উঠিছে।

— আসাম ট্ৰিবিউন : ৫ মাৰ্চ

যোৰহাট মহকুমাৰ লেটেকুজান চাহ-বাগিচাৰ দুজন লোকৰ অনাহাৰত মৃত্যু হোৱাৰ প্ৰসংগ উত্থাপন কৰি বিধান সভাত বিৰোধী পক্ষই সভা-স্থগিত প্ৰস্তাৱৰ যোগে আলোচনা কৰিবলৈ চেষ্টা কৰে।

— দৈনিক অসম : ৫ মাৰ্চ

'অনাহাৰৰ তাড়নাত বজাৰত সন্তান বিক্ৰী' শিতানত বাতৰি কাকতত প্ৰকাশিত বাতৰি এটাৰ ওপৰত আলোচনা আৰম্ভ কৰি বিধান সভাত মঙ্গলবাৰে কমিউনিষ্ট সদস্য শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড আৰু নিৰ্দলীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমদে গোৱালপাৰা জিলাত ধান-চাউলৰ ক্ষেত্ৰত হোৱা ভয়াবহ পৰিস্থিতিৰ কথা উল্লেখ কৰে।

— দৈনিক অসম : ৬ মাৰ্চ

"যেতিয়াই পৃথিবীত ধৰ্মৰ গ্লানি ঘটে আৰু অধৰ্ম-অনাচাৰ বৃদ্ধি পায়, তেতিয়াই দুৰ্জনক বিনাশ কৰি ধৰ্ম-সংস্থাপনৰ কাৰণে ভগবানে অৱতাৰ ৰূপ ধাৰণ কৰে"—গীতাৰ এই বিখ্যাত শ্লোকৰ উদ্ধৃতি দি চেন্ট্ৰেল ৰিজাৰ্ভ পুলিচৰ মুখপত্ৰ 'ক্ৰেপলাৰ' নামৰ আলোচনীখনে লিখিছে : "দেশৰ আজিৰ পৰিস্থিতিত এই কথা কব পাৰি যে যেতিয়াই আইন-শৃংখলাৰ ভয়াবহ অৱনতি ঘটে, তেতিয়াই ভগবানে চি আৰ পিৰ ৰূপত ধৰা-ধামত অৱতীৰ্ণ হয়।"

— টাইমচ্ অব্ ইণ্ডিয়া : ১৫ জানুৱাৰী

নলবাৰী মহকুমাৰ উত্তৰ বৰপেটা মৌজাৰ সাপ্তাহিক বজাৰত সাধাৰণ বিধৰ ধানৰ দাম মোনে প্ৰতি ৪৮ টকালৈকে উঠিছে। বৰপেটা আৰু ধুবুৰী মহকুমাৰ বিভিন্ন ঠাইৰ পৰাও ধানৰ দাম অনুৰূপ ভাবে বৃদ্ধি পোৱাৰ বাতৰি আহিছে।

— আসাম ট্ৰিবিউন : ৫ মাৰ্চ

দুমাহৰ আগতে চৰকাৰৰ ঘনিষ্ঠ মহলৰপৰা শুনা গৈছিল যে দুশমান সমবায় সমিতিয়ে নিৰ্ধাৰিত দহ হাজাৰ টকাৰ অংশমূল্য সংগ্ৰহ কৰিছে। কিন্তু প্ৰকৃততে প্ৰায় ১৩০ খন মান সমবায় সমিতিয়েহে এতিয়ালৈকে দহ হাজাৰ টকাৰ অংশমূল্য সংগ্ৰহ কৰিব পাৰিছে।.... ধান-চাউলৰ পাইকাৰী ব্যৱসায় ৰাইজৰ হৈ চৰকাৰে নিজৰ হাতলৈ অনাৰ লগে লগে ভাত মুঠিৰ বাবে ৰাইজে এমুঠি ব্যৱসায়ীৰ মুখলৈ চাই থকাৰ প্ৰয়োজনৰ অন্ত পৰিব, মূল্য-বৃদ্ধি বন্ধ হ'ব, ভেজাল নাইকিয়া হ'ব, আৰু কৃত্ৰিম অনাটনৰ অন্ত পৰিব বুলি চৰকাৰে ৰাইজক আশ্বাস দিছিল। কিন্তু যোৱা ৫ মাহৰ ভিতৰত এইবোৰৰ যে কোনোটোৱেই অন্ত নপৰিল, বৰঞ্চ প্ৰাদুৰ্ভাৱহে ঘটিল, তালৈ চাই চৰকাৰে এতিয়া কি ব্যৱস্থা লয় সেইটো জানিবলৈ ৰাইজ অধীৰ হৈ পৰিছে।

— সাপ্তাহিক নীলাচল : ৬ মাৰ্চ

কংগ্ৰেছৰ প্ৰতি অনুগত খেতিয়কসকলক চৰকাৰে সেও মনাব পৰা নাই আৰু তেওঁলোকৰ মজুত ধান বজাৰত উলিয়াই দিবলৈ চৰকাৰে ধনী খেতিয়কসকলক বাধ্য কৰিব পৰা নাই; তেনেস্থলত চৰকাৰে খাদ্য-শস্য সংগ্ৰহ-অভিযানত বিৰোধী দলবোৰৰ সহযোগিতা পাবলৈ আশা কৰিব পাৰে কেনেকৈ? যিহেতু গাঁৱলীয়া অঞ্চলত ধনী খেতিয়কসকলেই কংগ্ৰেছৰ প্ৰধান পৃষ্ঠপোষক, সেই কাৰণে চৰকাৰে সম্ভৱতঃ তেওঁলোকৰ বিৰুদ্ধে কোনো ব্যৱস্থা লব নোৱাৰে।

— টাইমচ্ অব্ ইণ্ডিয়া ঃ ২৯ জানুৱাৰী

ডিজেলৰ নাটনিৰ প্ৰতিবাদত পঞ্জাবৰ খেতিয়কসকলৰ আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিছে। পঞ্জাবৰ পুলিচে দ্বিতীয়বাৰৰ কাৰণে আন্দোলন কাৰী খেতিয়সকলৰ ওপৰত গুলী-বৰ্ষণ কৰে।

— ষ্টেটচ্‌মেন ঃ ৪ মাৰ্চ

কংগ্ৰেছী সদস্য শ্ৰীকাশীকান্ত মৈত্ৰই পশ্চিমবংগ বিধান সভাত গ্ৰামাঞ্চলৰ অনাহাৰ আৰু সৰ্বব্যাপী অৰ্থনৈতিক সংকটৰ এটা ভয়াবহ চিত্ৰ দাঙি ধৰে। বেছিভাগ খেতিয়কৰে কোনো কাম নাই। ডিজেলৰ অভাৱত খাদ্য-উৎপাদন বাধাপ্ৰাপ্ত হৈছে। অলপতে নদীয়া জিলাত দুজন জনজাতীয় খেতিয়কৰ অনাহাৰত মৃত্যু হয়।

— হিন্দুস্থান ষ্টেণ্ডাৰ্ড ঃ ৫ মাৰ্চ

বোকাখাট অঞ্চলৰ গাঁওবোৰৰ তিৰোতাসকলে ধান-চাউল বিচাৰি বাহিৰ ওলাবলৈ আৰম্ভ কৰিলেই। আগতে আহাৰ-শাওণ মাহতহে এনে পৰিস্থিতি আৰম্ভ হয়।.... এইবাৰ এনে দুই এটা অসমীয়া ভিক্ষাৰী তিৰোতাৰ দল এই সংবাদদাতাই লগ পাইছে—যিবোৰে ওচৰে-পাঁজৰে ঘূৰি একো পোৱা নাযাব বুলি সন্দেহ কৰি ২০/২৫ মাইল দূৰৰ ঠাইলৈ গৈছে।

— দৈনিক অসম ঃ ৪ মাৰ্চ

কেৰালাৰ কালিকটৰ পৰা পোৱা এটা বাতৰি মতে এখন স্কুলৰ এটা চকীদাৰ কামৰ কাৰণে ৮ জন প্ৰাৰ্থী ওলাইছিল, আৰু তেওঁলোকৰ প্ৰত্যেকেই ৬০০০ টকাকৈ ঘোচ দিবলৈ প্ৰস্তুত আছিল। এনে অৱস্থাত চিঠি খেলৰ দ্বাৰাই এজন প্ৰাৰ্থীক নিৰ্বাচিত কৰা হ'ল। আমাৰ ৰাজহুৱা জীৱনৰ সৰ্ব-স্তৰতে দুৰ্নীতি কেনেকৈ বিয়পিছে আৰু তাৰ ফলত দুৰ্বল আৰু দুখীয়া শ্ৰেণীৰ মানুহবোৰ কেনেকৈ সৰ্বস্বান্ত হৈছে—সেই সম্পৰ্কে ইয়াতকৈ বেছি কোনো কথা কোৱাৰ প্ৰয়োজন বোধহয় নাই।

— হিন্দু ঃ ৮ জানুৱাৰী

শ্ৰীডাঙ্গেই সাংবাদিকসকলক কয় যে শ্ৰীমতী গান্ধী ১৯৬৯ চনৰ পৰা ১৯৭১ চনলৈকে প্ৰগতিশীল প্ৰধান মন্ত্ৰী আছিল, পিছে এতিয়া আৰু নহয়। তেওঁ এতিয়া প্ৰগতিশীলো নহয়, বাওঁপন্থীও নহয়, এতিয়া তেওঁ কেৱল প্ৰতিক্ৰিয়া-বিৰোধী।

— হিন্দুস্থান টাইমচ ঃ ৩০ জানুৱাৰী

চৰকাৰৰ দুৰ্নীতি বিৰোধী অভিযান

অসমৰ বিধান সভাৰ চলিত বাজেট অধিবেশন নানা ফালৰপৰা অতি গুৰুত্বপূৰ্ণ অধিবেশন হৈছে। বহুদিনৰ মূৰত বিধান সভাৰ সদস্যসকলৰ মাজত প্ৰশংসনীয় কৰ্ম-তৎপৰতা দেখা গৈছে আৰু তেওঁলোকৰ বক্তৃতা আৰু প্ৰশ্নৰ মাজত ৰাইজৰ মনৰ কথা ব্যক্ত হৈছে। এই অধিবেশনৰ এটা প্ৰধান বিশেষত্ব হ'ল এয়েই যে অসম চৰকাৰৰ যোৱা দুবছৰৰ কাৰ্য্যাৱলীৰ এটা মূল্যায়ন কৰিবলৈ এইবাৰ চেষ্টা কৰা হৈছে। নতুন চৰকাৰ ক্ষমতাত অধিষ্ঠিত হোৱাৰ প্ৰথম বছৰটোত কাম নকৰাৰ বা কৰিব নোৱৰাৰ বহুতো অজুহাত ওলাইছিল। কিন্তু চৰকাৰৰ দুৰ্ভাগ্য যে দ্বিতীয় বছৰটোত তেনে অজুহাত বিশেষ নোলাল। চলিত বাজেট অধিবেশনত চৰকাৰৰ সমালোচকসকলে অখণ্ডনীয় যুক্তি আৰু তথ্য-পাতিৰে সৈতে প্ৰমাণ কৰি দেখুৱাইছে যে এই দুটা বছৰে চৰকাৰে বিশেষ উল্লেখযোগ্য কোনো কামেই কৰিব পৰা নাই, কেৱল মুখৰ মালিহা মাৰোতেই মূল্যবান দুটা বছৰ পাৰ হৈ গ'ল। মন কৰিবলগীয়া কথা যে চৰকাৰে সমালোচকসকলৰ এই আপত্তিৰ কোনো সদুত্তৰ দিব পৰা নাই; তৰল যুক্তি আৰু থোকা-থুকি মাতেৰে যিখিনি কথা চৰকাৰ-পক্ষৰপৰা কোৱা হৈছে, তাৰপৰা ৰাইজৰ মনত এই ধাৰণাহে সৃষ্টি হৈছে যে চৰকাৰৰ আত্ম-বিশ্বাস সম্পূৰ্ণৰূপে হেৰাই গৈছে, আৰু এই চৰকাৰে কাম কৰি দেখুৱাব পৰাৰ বিশেষ কোনো আশা নাই। বিধান সভাৰ চলিত অধিবেশনে ৰাইজক মিছা আশা আৰু মিছা মোহৰপৰা মুক্ত কৰি তেওঁলোকক নিৰ্মম বাস্তৱৰ মুখামুখি কৰাই দিছে। এইটোও কম ডাঙৰ লাভ নহয়।

যি সৰ্বগ্ৰাসী দুৰ্নীতিয়ে চৰকাৰক নাগ-পাশৰ দৰে মেৰাই ধৰিছে, তাৰ ভয়ংকৰ ৰূপটো আংশিকভাৱে হ'লেও উন্মোচিত কৰি দেখুৱাব পৰাটো বিধান সভাৰ চলিত অধিবেশনৰ আন এটা ডাঙৰ কৃতিত্ব। এইবাৰ একেটা মাত্ৰ অধিবেশনতে চৰকাৰৰ বিৰুদ্ধে যিমানবোৰ দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে, আমাৰ মনত পৰাত আন কোনো অধিবেশনতেই সিমানখিনি হোৱা নাছিল। তাতোকৈ ডাঙৰ কথা হ'ল এয়েই যে চৰকাৰে এইবোৰ অভিযোগৰ বেছি ভাগকেই সঁচা বুলি স্বীকাৰ কৰি লব লগা হৈছে, যি চৰকাৰে দুৰ্নীতিৰ মূলোচ্ছেদ কৰাৰ পবিত্ৰ সংকল্প লৈ কাৰ্য্য-কাল আৰম্ভ কৰিছিল, তেওঁলোকে ৰাজহুৱাভাৱে এই অভিযোগবোৰ উত্থাপিত হোৱালৈ অপেক্ষা নকৰি স্বতঃপ্ৰণোদিত হৈয়েই বহুত আগতেই এই দুৰ্নীতিবোৰ দূৰ কৰিবলৈ আৰু দোষী লোকসকলক শাস্তি দিবলৈ প্ৰয়োজনীয় ব্যৱস্থা লব লাগিছিল। কিন্তু চৰকাৰে সেইটো নকৰিলে। বৰং তেওঁলোকে এই পাপবোৰ গাব দি থবলৈহে চেষ্টা কৰিলে। এই কথাও কব নোৱাৰে যে তেওঁলোকে দুৰ্নীতিমূলক কাৰ্য্য-কলাপৰ এই তথ্য-পাতিবোৰ আগতে নাজানিছিল। বিধান সভাত প্ৰকাশ পোৱা বেছিভাগ দুৰ্নীতিৰ অভিযোগৰ তথ্য-পাতি চৰকাৰী নথি-পত্ৰৰপৰাই পোৱা হৈছে। মন্ত্ৰীসকলৰ কথাৰ সুৰ শুনি ধাৰণা হয় যে বিধান সভাত এই তথ্য-পাতিবোৰ সদৰি হৈ নপৰা হ'লে তেওঁলোকে নাকত তেল দি আৰু তিনিটা বছৰ শুই থাকিলেহেঁতেন।

সি যি নহওক, আমাৰ বক্তব্য হ'ল এয়েই যে এইবাৰ বিধান সভাত প্ৰকাশ পোৱা দুৰ্নীতিৰ অভিযোগবোৰৰ

পৰিপ্ৰেক্ষিতত অসম চৰকাৰৰ দুৰ্নীতি-বিৰোধী অভিযান এটা অন্তঃসাৰশূন্য প্ৰহসন বুলি ৰাইজৰ চকুত প্ৰতিভাত হৈছে। দুৰ্নীতিৰ বিহ গছৰ গুৰি উঘালিবলৈ চেষ্টা নকৰি মাজে মাজে ডাল-পাতবোৰ কাটি দেখুৱালে ৰাইজৰ মনত হয়তো এটা মিছা আশা জগাই তুলিব পৰা হয়, কিন্তু তাৰ দ্বাৰাই চৰকাৰৰ আন্তৰিকতাও প্ৰকাশ নাপায়, দুৰ্নীতিৰো গাৰ নোম এডাল নলৰে। আমি সদায় কৈ আহিছো যে দুৰ্নীতি কেৱল এটা নৈতিক সমস্যা নহয়; ই এনে এটা বৃহৎ অৰ্থনৈতিক সমস্যা—যাৰ ফলত এই দৰিদ্ৰ দেশৰ উন্নয়নৰ প্ৰয়োজনত লগা কোটি কোটি টকাৰ অক্ষমনীয় অপচয় ঘটিছে। শ্ৰীগুলজাৰিলাল নন্দই পৰিকল্পনা মন্ত্ৰী হৈ থকা সময়ত কৈছিল যে দেশৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে ধাৰ্য্য কৰা সৰ্বমুঠ ধনৰ অন্ততঃ শতকৰা ২৫ ভাগ টকা দুৰ্নীতিপৰায়ণ বিষয়া, বেপাৰী আৰু ঠিকাদাৰসকলেই আত্মসাৎ কৰে। তাৰ পৰাই বুজিব পাৰি যে দুৰ্নীতিয়ে আমাৰ কিমান ডাঙৰ সৰ্বনাশ কৰিছে।

এইবাৰ অসম বিধান সভাত উদ্যোগ বিভাগৰ বিৰুদ্ধে প্ৰায় অবিশ্বাস্য ধৰণৰ দুৰ্নীতিৰ অভিযোগ উঠিছে। বিভাগীয় মন্ত্ৰীয়েও অভিযোগবোৰৰ সঁচা বুলি স্বীকাৰ কৰি লৈছে। এই অভিযোগবোৰ সম্পূৰ্ণ নতুন নহয়। ১৯৬৯ চনতে আমি আমাৰ কাকতত অসম চৰকাৰৰ উদ্যোগ বিভাগৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে বহুতো প্ৰামাণ্য অভিযোগ আনিছিলো। কিন্তু তেতিয়া সেই অভিযোগবোৰৰ কোনো বিচাৰ নহ'ল। "লংকালৈ যিয়েই যায়, সিয়েই ৰাক্ষস হয়"— এই আপ্তবাক্য সাৰোগত কৰি বৰ্তমান মন্ত্ৰীসভায়ো উদ্যোগ বিভাগৰ পুঞ্জীভূত পাপবোৰ পৰিষ্কাৰ কৰিবলৈ যোৱা দুবছৰে একো চেষ্টা নকৰিলে। কিন্তু এতিয়া বিধান সভাৰ পবিত্ৰ মজিয়াত সেই অভিযোগবোৰ সদৰি হৈ পৰাৰ পিচত চৰকাৰৰ নীৰৱ আৰু নিচেষ্ট হৈ থাকিবলৈ কোনো অধিকাৰ নাই। মুখ্যমন্ত্ৰীৰ কৰ্ম দক্ষতাত মাজে মাজে সন্দেহ উপস্থিত হ'লেও তেওঁৰ সততা আৰু আন্তৰিকতাত আমি এতিয়াও সম্পূৰ্ণভাৱে বিশ্বাস হেৰুৱাই পেলোৱা নাই। সেই কাৰণে আমি তেওঁৰ ওচৰত দাবী কৰিছো যে উদ্যোগ বিভাগৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰৰ তদন্ত কৰিবলৈ তেওঁ অতি সোনকালে এটা 'ন্যায়িক তদন্ত'ৰ ব্যৱস্থা কৰক; 'ন্যায়িক তদন্ত'ৰ বাহিৰে আন কোনো ধৰণৰ তদন্তত ৰাইজ সন্তুষ্ট নহ'ব।

গড়কাপ্তানী মন্ত্রীয়ে সম্পূর্ণ সত্য কথা কৈছেনে?

বিধান সভাৰ অসম গৱৰ্ণমেণ্ট কনষ্ট্ৰাকশ্যন কৰ্পোৰেশ্যন সম্পৰ্কীয় আলোচনাৰ উত্তৰদান প্ৰসংগত গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঃ লুটফুৰ ৰহমানে দাবী কৰিছে যে উক্ত কৰ্পোৰেশ্যনক শক্তিশালী কৰিবলৈ চৰকাৰে চেষ্ট কৰাৰ ফলত ব্যক্তিগত মালিকানাৰ ঠিকাদাৰী অনুষ্ঠানবোৰৰ স্বাৰ্থত আঘাত পৰিছে, আৰু সেই কাৰণেই এই ন্যস্ত স্বাৰ্থজড়িত মহলে চিঞৰ-বাখৰ লগাইছে। বাতৰি কাকতত প্ৰকাশিত মন্ত্ৰী ডাঙৰীয়াৰ বিবৃতিৰ পূৰ্ণ বয়ান মোৰ এতিয়া মনত নাই; কিন্তু তেওঁৰ বক্তব্যৰ সাৰাংশ যে এইটোৱেই, সেই কথা মই ডাঠি ক'ব পাৰোঁ।

কিন্তু আচৰিত কথা যে সাপ্তাহিক নীলাচলত (২৭ ফেব্ৰুৱাৰী) চৰকাৰৰ দুতলীয়া নীতি সম্পৰ্কে মই অভিযোগ কৰিছিলোঁ আৰু উদাহৰণ দাঙি ধৰিছিলোঁ, মন্ত্ৰী ডাঙৰীয়া সেই সম্পৰ্কত সম্পূৰ্ণ নীৰৱ। এতিয়াও মই তেওঁক মোৰ অভিযোগৰ উত্তৰ দিবলৈ আহ্বান জনালোঁ।

আজি মই বিলাতী মাটিৰ পৰিবহণ সম্পৰ্কত অসম চৰকাৰৰ আৰু এটা দুতলীয়া নীতিৰ উদাহৰণ দাঙি ধৰিব খুজিছোঁ।

বিধান সভাত কংগ্ৰেছ সদস্য শ্ৰীঅতুল চন্দ্ৰ শইকীয়াৰ পৰিপূৰক প্ৰশ্নৰ উত্তৰত গড়কাপ্তানী মন্ত্ৰীয়ে জনাইছে যে চেৰাপুঞ্জী চিমেণ্ট কাৰখানাৰপৰা দিছপুৰলৈ বিলাতী মাটি অনাৰ ঠিকা ব্যক্তিগত ঠিকাদাৰক দিয়া হ'ল—কাৰণ অসম ৰাজ্যিক পথ-পৰিবহণ নিগমৰ জেনেৰেল মেনেজাৰে ব্যক্তিগত ঠিকাদাৰক সেই কামৰ দায়িত্ব দিয়াত আপত্তি নাই বুলি জনাইছিল।

এইখিনিতে বিশেষভাৱে মন কৰিবলগীয়া কথা যে ব্যক্তিগত ঠিকাদাৰ তিনিজনৰ পৰিবহণৰ হাৰ নিগমৰ হাৰতকৈ বহুত বেছি।

দ্বিতীয়তে, এই কথাও মনত ৰাখিব লাগিব যে সম্প্ৰতি পথ-পৰিবহণ নিগমৰ বহুতো ট্ৰাক কামৰ অভাৱত এনেয়ে পৰি আছে, আৰু ফলত নিগমৰ লোকচানৰ অংক বৃদ্ধি পাইছে।

আমি এতিয়া গড়কাপ্তানী মন্ত্ৰীক সুধিব খোজো :

(১) বিলাতী মাটিৰ পৰিবহণৰ ঠিকা ব্যক্তিগত ঠিকাদাৰক বেছি হাৰত দিয়াৰ আগতে পথ-পৰিবহণ নিগমে সেই কামৰ দায়িত্ব ল'ব পাৰিবনে নোৱাৰে—সেই কথা জেনেৰেল মেনেজাৰক সঁচাকৈয়ে সোধা হৈছিলনে? মই আকৌ দোহাৰিছোঁ : সঁচাকৈয়ে সোধা হৈছিলনে?

(২) যদি সোধা হৈছিল, তেন্তে পথ-পৰিবহণ নিগমৰ মাল-গাড়ীবোৰ কাম নোহোৱা হৈ বহি থকা সত্ত্বেও ব্যক্তিগত ঠিকাদাৰক কামটো দিয়াত সম্মতি দি জেনেৰেল মেনেজাৰে এটা ঘৃণনীয় ষড়যন্ত্ৰত অংশ লোৱা নাইনে? তাৰ কাৰণে তেওঁৰ গুৰুতৰ শাস্তি হোৱা উচিত নহয়নে?

(৩) কিন্তু যদিহে তেওঁক আগতে একো নোসোধাকৈ এতিয়া তেওঁৰ ওপৰত মিছা অপবাদ জাপি দিব খোজা হৈছে আৰু চিভিল চাৰ্ভেণ্টৰ অসহায় নীৰৱতাৰ সুযোগ লৈ মন্ত্ৰীয়ে পলায়নৰ পথ বিচাৰিছে, তেন্তে মন্ত্ৰীয়েও গুৰুতৰ শাস্তি পোৱা উচিত নহয়নে?

এই কথা ঠিক যে এই বিষয়টোত কোনোবা এজনে শাস্তি পাবই লাগিব। যদি এজনেও শাস্তি নোপোৱাকৈ সাৰি যায়, তেন্তে বুজিব লাগিব যে মুখেৰে নিজকে সমাজবাদী বোলোৱা এই চৰকাৰে ৰাজহুৱা খণ্ডৰ পথ-পৰিবহণ নিগমৰ স্বাৰ্থক জলাঞ্জলি দি ব্যক্তিগত ঠিকাদাৰৰ সেৱা-দাসী হবলৈ বিন্দুমাত্ৰ লাজ অনুভৱ নকৰে।

কিন্তু আমাৰ অভিযোগৰ ইমানতেই অন্ত পৰা নাই। দুৰ্নীতিৰ বিৰুদ্ধে দুৰ্নিবাৰ সংগ্ৰাম কৰাৰ অংগীকাৰ কৰা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তদন্ত কৰি চালে নিশ্চয় জানিব পাৰিব যে যোৱা নৱেম্বৰ মাহত কলিকতা মহানগৰীত আৰু এক বিৰাট দুৰ্নীতিৰ ষড়যন্ত্ৰ হৈছিল। আমাৰ প্ৰশ্ন হ'ল এই কেইটা ঃ

(১) কলিকতাত ৰেলৰ ওৱেগন নোপোৱাৰ মামুলী আৰু মিছা অজুহাত দেখুৱাই হাজাৰ হাজাৰ টন বিলাতী মাটি ট্ৰাকযোগে অনাৰ কাৰণে উচ্চ হাৰত ব্যক্তিগত ঠিকাদাৰক ঠিকা দিবলৈ নেপথ্যত কি নাটক অভিনীত হৈছিল? সেই নাটকৰ মুখ্য ভাৱৰীয়া কোন আছিল? সূত্ৰধাৰ বা পৰিচালক কোন আছিল?

(২) সেই সময়ত কলিকতা-গুৱাহাটী পথ-পৰিবহণৰ ভাড়া কিমান আছিল, আৰু তাতকৈ কিমান বেছি ভাড়াত উক্ত ব্যক্তিগত ঠিকাদাৰক বিলাতী মাটি অনাৰ ঠিকাটো দিয়া হৈছিল?

(৩) এই ঠিকাৰ কাৰণে কোটেশ্বন আহ্বান কৰাৰ মজাদাৰ নাটকখন কোনে লিখিছিল আৰু কোনে পৰিচালনা কৰিছিল?

এইবোৰ প্ৰশ্নৰ উত্তৰ কোনে দিব? আমাৰ দেশত এটা বৰ আচৰিত ঘটনা ঘটিব ধৰিছে। ৰাইজে যিবোৰ কথা শুনিব নোখোজে, সেইবোৰ কথা অষ্ট-প্ৰহৰ শুনোৱাই শুনোৱাই চৰকাৰে ৰাইজক পাগল কৰি দিয়ে--(যথাঃ কাম কৰিব নোৱৰাৰ অজুহাত); কিন্তু যিবোৰ কথা শুনিবলৈ ৰাইজ উৎকৰ্ণ হৈ থাকে, সেইবোৰ কথাত চৰকাৰ ৰহস্যময় ভাৱে নীৰৱ; (যথাঃ ওপৰৰ প্ৰশ্নবোৰৰ নিচিনা অসুবিধাজনক প্ৰশ্ন।)

কিন্তু কেৱল মুখ বন্ধ কৰি ৰাখিয়েই চৰকাৰে আৰু কিমান দিন ৰণ জিকিব পাৰিব?

— পৰ্য্যবেক্ষক।

সাপ্তাহিক নীলাচল, ২৭৩ সংখ্যা : ৩ এপ্ৰিল, ১৯৭৪ চন

চিন্তাজগত-২

ফ্ৰান্সিচ বেকনৰ দিনৰ পৰা বৰ্তমান সময়লৈকে ইউৰোপত চিন্তা-চৰ্চাৰ বুৰঞ্জী হ'ল ঘাইকৈ বিশ্বজগত সম্পৰ্কে মধ্যযুগীয় ধাৰণাৰ বিপৰীতে বেকনীয় ধাৰণাৰ অগ্ৰগতিৰ বুৰঞ্জী। অৱশ্যে ঘাইকৈয়ে ধাৰাবাহিকভাৱে নহয়। ঘাই পথৰপৰা একাষৰীয়া হৈ থিয় হোৱা প্ৰভাৱশালী চিন্তাশীল লোকৰ সংখ্যাও কম নহয়। ডেকাৰ্টেই নতুন সংগ্ৰাম কৰিছিল পুৰণি অস্ত্ৰ-শস্ত্ৰৰেই আৰু মধ্যযুগৰ প্ৰভাৱৰপৰা তেওঁ নিজকে সম্পূৰ্ণ মুক্ত কৰিব পৰা নাছিল। লাইব্‌নিৎচৰ মহৎ ঐক্যসাধক মানসত মধ্যযুগীয় পৰম্পৰা এতিয়াও ইমান প্ৰবল হৈ আছিল যে সিয়েই এজন গণিতজ্ঞক দুৰ্বল ধৰ্ম-তত্ত্ববিদলৈ ৰূপান্তৰিত কৰিছিল আৰু ইমানুৱেল কাণ্টৰ মাজত জ্ঞানৰ নৱোন্মেষৰ সংশয়বাদিতাৰ মাজতো পূৰ্বপুৰুষৰ বিশ্বাস বাণীময় হৈ উঠিছিল। এই দুটা চিন্তাধাৰা— বৈজ্ঞানিক আৰু ধৰ্মীয়— দুয়োটাৰ মাজত সেঁতু-বন্ধন কৰি ৰহস্যময়ভাৱে থিয় হৈ আছিল স্পীনোজা, যাৰ কাম আছিল চশ্‌মা মসৃণ কৰা, যাৰ নিচা আছিল ভগৱৎ-চিন্তা। স্পীনোজা আছিল নিৰ্জন ধ্যানৰ নীৰব উপাসক, আৰু তেৰেঁই আধুনিক বিজ্ঞানৰ অধিবিদ্যাৰ সূত্ৰ নিৰূপণ কৰিছিল। তেওঁ ভাল পাইছিল যন্ত্ৰ-বিদ্যা আৰু জ্যামিতি, ব্ৰূণোৰ সমানেই তেওঁও আছিল দৰ্শনৰ শ্বহীদ, পাৰ্থক্য কেৱল আছিল এয়েই যে তেওঁলোকে লোকচক্ষুৰ অগোচৰত তিলে তিলে মৃত্যু বৰণ কৰিছিল। তেওঁৰ পৰৱৰ্তী যুগৰ প্ৰত্যেকজন গভীৰ চিন্তাশীল মানুহেই স্পীনোজাৰ প্ৰভাৱ অনুভৱ কৰিছিল, প্ৰত্যেকজন ঐতিহাসিকেই তেওঁৰ প্ৰজ্ঞাৰ প্ৰশান্ত গভীৰতা স্বীকাৰ কৰি লৈছিল।

কিন্তু আমি আগতেই ঠিক কৰি লৈছো যে মানসিক জগতৰ এই বীৰসকলৰ ক্ষেত্ৰত তেওঁলোকৰ জ্ঞানৰ বিষয়ে আমি ব্যক্তিগতভাৱে কৰা মূল্যায়নতকৈ তেওঁলোকক প্ৰভাৱৰ দ্বাৰাইহে আমি তেওঁলোকক বিচাৰ কৰিম। স্পীনোজাক যিসকল লোকে অতি বেছি ভাল পায়, তেওঁলোকেও স্বীকাৰ কৰিব যে এই শান্ত দাৰ্শনিকজনৰ নিৰাময়কাৰী স্পৰ্শ মানৱ সমাজৰ সাধাৰণ জন-সমষ্টি বা আনকি বিদগ্ধ শ্ৰেণীৰ লোকতকৈয়ো বিৰল আৰু উচ্চতৰ স্তৰৰ লোকসকলৰ ওপৰতহে বেছিকৈ পৰিছিল। চিন্তাৰ দ্বীপবাসী অভিজাত শ্ৰেণীৰ লগতহে তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক; তেওঁক ঢুকি পাব পৰাকৈ পৃথিৱীয়ে এতিয়াও সিমান ওপৰলৈ উঠিব পৰা নাই।

কিন্তু চাৰ আইজাক্ নিউটন সম্পৰ্কে তেনে কোনো মতদ্বৈধ উঠিবই নোৱাৰে। এই অন্যমনস্ক প্ৰতিভাধৰ পুৰুষজনৰ বিষয়ে প্ৰত্যেক পঢ়াশলীয়া ছাত্ৰয়ো জানে। এবাৰ এই মহান বিজ্ঞানীজনক তেওঁক ৰন্ধন প্ৰতিভাৰ পৰিচয় দিবলৈ সুযোগ দিয়া হৈছিল; এটা কণী তিনি মিনিট সময় সিজাবলৈ কোৱাত তেওঁ কণীটো হাতত লৈ চাই থাকি হাত ঘড়ীটো তিনি মিনিট সময় ধৰি সিজাই আছিল। নিজৰ ভাবত আত্মহাৰা হৈ এই গণিতজ্ঞজনে আন এবাৰ ৰাতিৰ আহাৰ খাবৰ কাৰণে কাপোৰ সলাবলৈ নিজৰ কোঠাত কাপোৰ-কানি খুলিয়েই খোৱা শেষ হ'ল বুলি ভাবি পৰিতৃপ্ত মনেৰে বিছনাত পৰিছিলগৈ। (এই গল্পবোৰ যদি সঁচা নহয়, তেন্তে সি নিশ্চয় অতি দুৰ্ভাগ্যৰ কথা হ'ব।) অৱশ্যে বহুতো পঢ়াশলীয়া ছাত্ৰই হয়তো এই কথা নাজানে

যে বিজ্ঞানে আধুনিক চিন্তাৰ ওপৰত নিউটনৰ ‘প্ৰিঞ্চিপিকাৰ’ সাৰ্বভৌম প্ৰভুত্ব বিনা দ্বিধাই স্বীকাৰ কৰি লৈছে; তেওঁলোকে হয়তো এই কথাও নাজানে যে নিউটনৰ দ্বাৰা উদ্ভাবিত গতি আৰু বল-বিদ্যাৰ মূল নীতিসমূহেই পৰৱৰ্তী যুগৰ প্ৰয়োগ বিজ্ঞানৰ সমস্ত অগ্ৰগতিৰ ভিত্তিস্বৰূপ; আধুনিক বিজ্ঞানৰ মিৰাক্‌ল স্বৰূপ পুনৰ্বিন্যস্ত পৃথিৱী আৰু সমৃদ্ধতৰ মানৱ জীৱনৰ সূচনা কৰিছিল নিউটনেই। নিউটনৰ মধ্যাকৰ্ষণ শক্তিৰ আৱিষ্কাৰে জ্যোতিৰ্বিজ্ঞানৰ সমস্ত জগৎ পোহৰাই তুলিছিল, আৰু তাৰকাপুঞ্জৰ উজ্জ্বল বিশৃংখলা দূৰ কৰি তাৰ ঠাইত স্থাপন কৰিছিল প্ৰায় এক জৈৱ সমন্বয়। ভল্‌টেয়াৰে কৈছিল ঃ “কিছুদিনৰ আগতে কেইবাজনো পণ্ডিতে লগ লাগি এই ৰসাল আৰু কৌতূহলোদ্দীপক প্ৰশ্নটো আলোচনা কৰিছিল ঃ (কিন্তু হাঁয়, উদ্ধৃতিৰ কাৰণে এইটো উপযুক্ত সময় নহয়)— সৰ্বশ্ৰেষ্ঠ মানুহ কোনজন? চীজাৰ, আলেক্‌জেণ্ডাৰ, টৈমুৰলেন, নে ক্ৰমৱেল? কোনোবা এজনে উত্তৰ দিলে যে নিঃসন্দেহে সেই মানুহজন হ'ল আইজাক নিউটন। সম্পূৰ্ণ সঁচা কথা। কেৱল সেইসকল লোকহে আমাৰ শ্ৰদ্ধাৰ পাত্ৰ, যিসকল লোকে সত্যৰ শক্তিৰে আমাৰ মনৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰে; যিসকলে হিংসাৰ শক্তিৰে আমাক দাসত পৰিণত কৰে, তেওঁলোক নহয়।”

নিউটনৰ জীৱনকালতেই জগতে স্বীকাৰ কৰি লৈছিল যে তেওঁ মানৱ সমাজৰ উপাস্য পুৰুষসকলৰ অন্যতম।

সাপ্তাহিক নীলাচল, ২৭৪ সংখ্যা : ১০ এপ্ৰিল, ১৯৭৪ চন

ডাঙৰ কোন— শাসক নে অনুশাসক

শ্ৰীশৰৎ সিংহ যেতিয়া মুখ্যমন্ত্ৰী হোৱা নাছিল; কিন্তু ৰাজ্য কংগ্ৰেছৰ অধ্যক্ষ নাইবা উপাধ্যক্ষ আৰু তাৰো পাচত এড্‌হক এ-পি-চি-চি তথা ৰাজ্য চৰকাৰৰ সৰ্বময় কৰ্তা আছিল, তেতিয়া তেওঁ সদায় এই অভিমত ব্যক্ত কৰিছিল যে মন্ত্ৰী সভাতকৈ শাসনাধিষ্ঠিত দলৰ সাংগঠনিক শাখাৰ ক্ষমতা আৰু গুৰুত্ব বেছি হ'ব লাগে। কিয়নো, পাৰ্টিৰ কোন এম-এল-এ হ'ব, কাক কাক মন্ত্ৰী পাতিব লাগিব আৰু মন্ত্ৰী সভাৰনো কি নীতি হ'ব, এইবিলাক কথা সাংগঠনিক শাখাই স্থিৰ কৰি দিয়ে। (ৰাইজেও আদৰ্শ আৰু কৰ্মসূচীৰ ভিত্তিত কংগ্ৰেছকহে ভোট দিয়ে, ব্যক্তি-বিশেষক নহয়) এই অভিমত যে অতি যুক্তিসঙ্গত, তাত একো সন্দেহ নাই। পাৰ্টিয়ে নিৰ্বাচিত কৰি দিয়া নীতি অনুসৰি কাম নকৰিলে মন্ত্ৰীসকলে যে পদত্যাগ কৰিব লাগে নাইবা তেওঁলোকক যে পদত্যাগ কৰিবলৈ বাধ্য কৰা হয়, শ্ৰীনেহৰুৰ আমোলৰ কামৰাজ প্লেনকে আদি কৰি এতিয়ালৈকে এই দেশত তাৰ বহুতো দৃষ্টান্ত আছে। আমাৰ নিজা ৰাজ্যখনতেই দেখোন তেওঁৰ কাৰ্য্যকাল শেষ নৌহওঁতেই শ্ৰীবিষ্ণুৰাম মেধিক অপসাৰণ কৰি শ্ৰীচলিহাক গাদীত বহুওৱা হৈছিল আৰু সৌ সিদিনা শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীৰ ঠাইত শ্ৰীসিংহদেৱক মুখ্যমন্ত্ৰী পতা হৈছিল।

কংগ্ৰেছৰ বিভাজন আৰু বাসত্তৰ চনৰ নিৰ্বাচনৰ পাচত শাসক দলৰ সাংগঠনিক শাখাৰ ক্ষমতা বঢ়োৱাৰ প্ৰয়োজন নিশ্চয় আগতকৈ বেছি হৈছে। কিয়নো, কংগ্ৰেছে ইতিমধ্যে এখন সমাজতন্ত্ৰী সমাজ প্ৰতিষ্ঠাৰ দায়িত্ব হাতত লৈছে আৰু তাৰ কৰ্ম-যজ্ঞও বিৰাট। নিৰ্বাচনৰ সময়ত এই লক্ষ্য আৰু কৰ্ম-যজ্ঞ সম্পৰ্কে ৰাইজৰ আগত প্ৰতিশ্ৰুতি দিয়াৰ ফলতে এনে এটা অৱস্থা হৈছে যে শাসনাধিষ্ঠিত দলে এতিয়া কোনো প্ৰকাৰে সেই আদৰ্শ আৰু কাৰ্যসূচীৰপৰা ফালৰি কাটি যাব নোৱাৰে — আনকি যাবলৈ চেষ্টা কৰাটোও নীতি-বিগৰ্হিত কাম হ'ব। গতিকে এই ক্ষেত্ৰত কংগ্ৰেছৰ সাংগঠনিক শাখাৰ গা সাৰি থকাৰ উপায় নাই।

কিন্তু অসম প্ৰদেশ কংগ্ৰেছ কমিটী জানো সেই দায়িত্ব সম্পৰ্কে সচেতন আৰু ইয়াৰ ন্যস্ত ক্ষমতাও জানো সন্থাৰ বিধায়িনী শাখাতকৈ বেছি? এই প্ৰশ্নৰ উত্তৰ বিচৰাৰ আগতে 'এ-পি-চি-চি'ৰ কাৰ্য্যালয় আৰু তাৰ বিভিন্ন বিভাগৰ কাম-কাজৰ অলপ বুজ লোৱা যাওক। সৌ সিদিনালৈকে গুৱাহাটীৰ কংগ্ৰেছ ভৱন আছিল কংগ্ৰেছী মানুহ আৰু সাধাৰণ ৰাইজৰ তীৰ্থস্থানৰ নিচিনা। দিনে-ৰাতিয়ে দলে দলে মানুহ আহি কংগ্ৰেছ ভৱনত জুম খাইছিল, 'এ-পি-চি-চি'ৰ সংশ্লিষ্ট লীডাৰ বিলাকৰ লগত নানা পৰিস্থিতি আৰু সমস্যা আলোচনা কৰিছিল। কোনো বৈঠক আদি নেথাকিলেও নিতৌ আবেলি-সন্ধিয়া কংগ্ৰেছ ভৱনত কংগ্ৰেছী-অকংগ্ৰেছী মানুহৰ আড্ডা বহিছিল। আজিকালি সেইবোৰ একেবাৰে নাইকিয়া হ'ল। প্ৰাদেশিক সন্থাৰ বিভাগীয় মুৰব্বীসকলৰ সৰহ জনেই এতিয়া এম-এল-এ নাইবা মন্ত্ৰী-উপমন্ত্ৰী। গতিকেই বিধান সভাৰ অধিৱেশনৰ কালছোৱাত কোনো নিৰ্দিষ্ট সভা-সন্মিলন নেথাকিলে তেওঁলোকক কংগ্ৰেছ ভৱনত পোৱা নাযায়। নেতাসকলৰ উপস্থিতিত অফিচৰ কামো কম থাকে, গতিকে কংগ্ৰেছ ভৱনত কৰ্মব্যস্ততাৰ কোনো চিন নাথাকে। সমাজবাদ প্ৰতিষ্ঠা আমাৰ এটা নতুন প্ৰকল্প। এইটো এটা পৰীক্ষামূলক আঁচনি বুলিও ক'ব পাৰি। তথাপি কংগ্ৰেছ ভৱনত এই প্ৰকল্প সম্পৰ্কে কোনো আলোচনাৰ ব্যৱস্থা নাই। আলোচনাৰ বাবে

আমাৰ কোনো নতুন পুৰুষ নাইবা আন আন কোনো মানুহো কংগ্ৰেছ ভৱনত উপস্থিত নহয়গৈ।

এইবোৰ দেখি শুনি এনে এটা ধাৰণা হয় যেন ধান-চাউলৰ পাইকাৰী ব্যৱসায় ৰাজ্য চৰকাৰে নিজৰ হাতত লৈ যেনেকৈ এফ-আই-চি আৰু এপেক্সক এজেঞ্চি দি দিছে আৰু সুলভ মূল্যৰ দোকানৰ সমন্বিতে বজাৰত ধান-চাউলৰ অনাটন নাইবা মূল্য বৃদ্ধি হ'লেও সেইবোৰক আওকাণ কৰিছে, ঠিক তেনেকৈ ৰাইজৰ আগত নিজে এসোপা প্ৰতিশ্ৰুতি দি সেইবোৰ পালন কৰাৰ এজেঞ্চি চৰকাৰৰ হাতত এৰি দি সাংগঠনিক শাখা নিশ্চিন্ত হৈ বহি আছে। চাউলৰ মূল্যবৃদ্ধি ৰোধ কৰিব নোৱৰাত মানুহৰ ক্ৰয় ক্ষমতাৰ অভাৱক যেনেকৈ দোষ দিয়া হৈছে, ঠিক তেনেকৈ নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষাত চৰকাৰৰ কোনো ত্ৰুটি-বিচ্যুতি হ'লে বোধ কৰোঁ ৰাইজৰ ৰাজনৈতিক সচেতনতাৰ অভাৱকহে জগৰীয়া কৰা হ'ব।

আটাইতকৈ দুখ লগা কথা এয়ে যে কংগ্ৰেছী নতুন পুৰুষৰ যি সংস্থাই দুবছৰ আগত ৰাজ্যৰ ৰাজপাটৰ পৰিবৰ্তন ঘটুৱাইছিল, সেই যুৱক কংগ্ৰেছে যেন আজিকালি আগৰ উদ্যম, উদ্দীপনা হেৰুৱাই পেলাইছে। যুৱক কংগ্ৰেছৰ ভিতৰতো দলিয়াদলি আৰু ক্ষমতাৰ দ্বন্দ্ব সোমাইছে যেতিয়া ৰাইজে এই সংস্থাৰপৰা কি প্ৰত্যাশা কৰিব পাৰে? ৰাইজৰ দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত কি সমস্যা হৈছে, সমাজতন্ত্ৰৰ বাটেদি তেওঁলোকৰ অগ্ৰগতি কিমানখিনি হোৱা নাই, কিয় হোৱা নাই এইবোৰ কথাৰ ভু লোৱা দূৰৰ কথা, যুৱ কংগ্ৰেছে হেনো পাৰ্টিৰ মন্ত্ৰী, বিধায়ক আৰু এম-পি সকলৰ ব্যক্তিগত আয়-ব্যয়ৰ হিচাব পৰীক্ষা কৰাৰ এটা প্ৰকল্পহে হাতত লৈছে। কামটো বেয়া বুলি কোনেও ক'ব নোৱাৰে, কিন্তু প্ৰশ্ন হৈছে ব্যক্তিগত আয়-ব্যয়ৰ হিচাব লোৱাৰ কামটো মন্ত্ৰীসভা নাইবা এ-পি-চি-চিৰ কোনো কৰ্মকৰ্তা নাইবা কাৰ্যনিৰ্বাহক কমিটীৰ ওপৰত এৰি দি যুৱক কংগ্ৰেছে ৰাইজৰ কল্যাণকামী কোনো কাম এতিয়ালৈকে হাতত লোৱা নাই কিয়?

নিৰ্বাচনত গোটেইবোৰ নাইবা সৰহভাগ ৰাইজৰ ভোট পাবলৈ হ'লে ৰাইজৰ অকৃত্ৰিম বন্ধু হিচাবে, সুখ-দুখৰ সহচৰ হিচাবে থিয় দিব লাগিব আৰু কামৰ জৰিয়তে মানুহৰ আগত এই ভাবমূৰ্তি দাঙি ধৰিব লাগিব। আমাৰ ৰাইজৰ দাৰিদ্ৰ্য আৰু অজ্ঞতাৰ সুযোগ লৈ নিৰ্বাচনৰ সময়ত বহুতে বোলে দেধাৰ টকা-পইচা খৰচ কৰে, অৰ্থাৎ আমাৰ সৰলচিতীয়া ৰাইজকো দুৰ্নীতিগ্ৰস্ত আৰু বিবেকহীন কৰিবলৈ বিচাৰে। সেইবোৰ মানুহ আমাৰ মতে কেতিয়াও প্ৰগতিশীল হ'ব নোৱাৰে। সঁচাকৈ ৰাইজৰ কাৰণে কাম কৰিবলৈ বিচৰা কোনো পাৰ্টিৰে এনেকুৱা প্ৰতিক্ৰিয়াশীল আচৰণ থকাটো গৰ্হিত অপৰাধ। ক'লা-বজাৰী ব্যৱসায়ীৰ অপৰাধৰ লগত এই অপৰাধৰ তুলনা কৰিব পাৰি। কিন্তু বিশেষ কাম-কাজ নকৰিও যদি পাৰ্টিক জীয়াই ৰাখিব লাগে, তেনেহ'লে অৱশ্যে নিৰ্বাচনৰ সময়ত টকা-পইচা খৰচ নকৰি উপায় নাই। তেনেস্থলত যদিও প্ৰশ্ন উঠিব পাৰে ঃ 'সংস্থাটোৰ আচল লক্ষ্য কি আৰু কাৰ স্বাৰ্থ পূৰণৰ কাৰণে ইয়াক বচাই ৰাখিবলৈ বিচৰা হৈছে?"

প্ৰতিটো সমালোচনাকে দুৰভিসন্ধিমূলক বুলি ভবাটো একধৰণৰ মানুহৰ অভ্যাস। এই অভ্যাসটোৱে আগৰ দিনৰ নতুনকৈ শহুৰৰ ঘৰলৈ অহা ন-বোৱাৰীৰ কথা মনত পেলাই দিয়ে। সদায় মনত এটা সন্দেহ—কোনোবাই তেওঁৰ সম্পৰ্কে কোনো কথা আলোচনা কৰিলেই ভয় লাগে, জানোচা পৰিয়ালৰ মানুহৰ আগত তেওঁৰ ভাবমূৰ্তি ম্লান হৈ যায়। আজিকালিৰ শিক্ষিতা প্ৰগতিশীল বোৱাৰীৰ ক্ষেত্ৰত অৱশ্যে সেই কথা নাখাটে। কাৰণ তেওঁলোকৰ মনত সেই 'কম্‌প্লেক্স'টো নাই।

কংগ্ৰেছৰ ক্ষেত্ৰত এনেবোৰ আলোচনাৰ দৰ্কাৰ এই কাৰণেই যে আমাৰ দেশত তথা এই অসম ৰাজ্যত কংগ্ৰেছবিনে জনপ্ৰিয় আন কোনো পাৰ্টি নাই আৰু মানুহে এইটোও দৃঢ়তাৰে বিশ্বাস কৰে যে অকল কংগ্ৰেছেই ইচ্ছা কৰিলে আৰু ইচ্ছা অনুসৰি কাম কৰিলে দেশত এটা প্ৰগতিশীল শক্তি গঢ়ি তুলিব পাৰে,

যি শক্তিয়ে অনুকূল বাতাবৰণৰ সৃষ্টি কৰি দেশত সমাজতন্ত্র প্রতিষ্ঠা কৰিবলৈ সক্ষম হ'ব সেই লক্ষ্যত উপনীত হ'বলৈ হ'লে পার্টিৰ সকলো বিভাগ সমন্বিতে সাংগঠনিক শাখাটো আৰু তৎপৰ হ'ব লাগিব। অকল মন্ত্রীসভাৰ হাতত সমাজতন্ত্র প্রতিষ্ঠাৰ এজেন্সি দি বহি থাকিলে নহ'ব, মন্ত্রীসভাৰ কাম-কাজৰ ত্রুটি-বিচ্যুতিৰ সমালোচনাও কৰিব লাগিব, শুদ্ধ পথেদি চলিবৰ কাৰণে পৰামর্শ দিব লাগিব। লগে লগে চৰকাৰে যাতে নির্ধাৰিত কর্মসূচী ৰূপায়িত কৰাত আসোঁৱাহ নাপায় সেই উদ্দেশ্যে পার্টিৰ কর্মীবিলাকক যথেষ্ট ট্রেনিং দি গাঁৱে-ভুঞে আৰু নগৰে-চহৰে সিঁচৰতি কৰি দিব লাগিব। সাংগঠনিক শাখা এতিয়াৰ দৰে মন্ত্রীসভা তথা চৰকাৰৰ আজ্ঞাবহ হ'লে নহ'ব, মন্ত্রীসভাৰ আজ্ঞাকাৰক অর্থাৎ মাষ্টাৰহে হ'ব লাগিব। মনত ৰাখিব লাগিব, শাসকতকৈ অনুশাসকহে ডাঙৰ — যেনেকৈ চৰকাৰৰ আমোলা-তন্ত্রতকৈ ডাঙৰ নীতি-নির্ধাৰক মন্ত্রীসভা। আৰু এটা কথা। সন্থাৰ কার্য্যনির্বাহক কমিটীত এতিয়া মন্ত্রী আৰু এম-এল-এ, এম-পিৰ প্রাধান্য থকাৰ ফলতে কমিটীৰ সিদ্ধান্তবোৰ শাসনাধিষ্ঠিত শাখাৰ ইচ্ছা আৰু উদ্দেশ্যৰ দ্বাৰা প্রভাৱিত হ'বলৈ বাধ্য। গতিকেই, কার্য্যনির্বাহক কমিটী যিমানদূৰ সম্ভৱ পার্লিয়ামেণ্টাৰি শাখাৰ প্রভাৱৰপৰা মুক্ত আৰু আছুতীয়া হ'ব লাগিব।

এইবোৰ ব্যৱস্থা নহ'লে আমাৰ বিশ্বাস মানুহৰ বর্তমান দুর্দশা গুচিব নোৱাৰে, সমাজতন্ত্র প্রতিষ্ঠাৰ বাটো মুকলি হ'ব নোৱাৰে।

সাপ্তাহিক নীলাচল, ২৭৫ সংখ্যা ঃ ২৪ এপ্রিল, ১৯৭৪ চন

অসম মন্ত্ৰীসভাৰ সাল-সলনি

The first essential for a Prime Minister is to be a good butcher, and there are several who must be pole-axed now. Loyal as he was to his collegues, Asquith never shrank, when the time came and public need required it, from putting them aside – once for all. Personal friendships might survive if it would. Political association was finished. But how else can states be governed?

– Winston Churchil

অসম মন্ত্ৰীসভাৰ প্ৰস্তাৱিত সাল-সলনি সম্পৰ্কে কলিকতাৰ এখন দৈনিক ইংৰাজী কাকতত এখন ব্যংগ-চিত্ৰ প্ৰকাশ পাইছে। ছবিখনত দেখুওৱা হৈছে – চকুত কাপোৰ বান্ধি কণা হৈ টেকেলি ভঙা খেলাৰ নিচিনাকৈ অসমৰ মুখ্যমন্ত্ৰীয়েও চকুত কাপোৰ বান্ধি আন্দাজতে মন্ত্ৰীসভাৰ কাৰ কাৰ মূৰৰ ওপৰত মাধ-মাৰ শোধাব তাকে চিন্তা কৰি আছে। মন্ত্ৰীসভাৰ সাল-সলনি সম্পৰ্কে মুখ্যমন্ত্ৰীৰ নীতি-বিবৰ্জিত আৰু দিগভ্ৰান্ত চিন্তাৰ ইয়াতকৈ অৰ্থপূৰ্ণ প্ৰকাশ বোধহয় আন একো হ'ব নোৱাৰে।

বাসন্তৰৰ সাধাৰণ নিৰ্বাচনৰ পিচত শ্ৰীসিংহই গঠন কৰা মন্ত্ৰীসভাৰ অবাক বিস্ময়ত বহুতৰ চকু থিয় কৰিছিল। নতুন কংগ্ৰেছ বিধায়িনী দলত প্ৰতিভাৰ উপচিপৰা প্ৰাচুৰ্য্য ঘটিছে বুলি কোনেও ভবা নাছিল; কিন্তু এই বিষয়েও কাৰো মনত সন্দেহ নাছিল যে শ্ৰীসিংহই গঠন কৰা মন্ত্ৰীসভাতকৈ এখন অধিক শক্তিশালী আৰু যোগ্যতাসম্পন্ন মন্ত্ৰীসভা গঠন কৰাৰ কিছু অৱকাশ নিশ্চয় আছিল। কিন্তু বিপুল নিৰ্বাচনী-বিজয়ে সৃষ্টি কৰা মাত্ৰাতিৰিক্ত আহ্লাদ আৰু আত্ম-বিশ্বাসত অধীৰ হৈ সেইবোৰ কথা চিন্তা কৰিবলৈ মুখ্যমন্ত্ৰীৰ সময় নহ'ল। তেওঁৰ মনত বোধহয় এনে এটা ধাৰণাৰ সৃষ্টি হৈছিল যে ইন্দিৰা-তৰংগৰ মন্ত্ৰ-প্ৰভাৱত গছৰ মুঢ়া একোটাক মন্ত্ৰী কৰি বহুৱাই দিলেও দেশৰ কাম চলি যাব।

অৱশ্যে তেওঁৰ মোহ-ভংগ হবলৈ বেছি সময় নালাগিল। নতুন চৰকাৰৰ কাৰ্য্য-কালৰ প্ৰথমটো বছৰৰ ভিতৰতে তেওঁ আবিষ্কাৰ কৰিলে যে কেৱল আদৰ্শ আৰু শ্লোগানে দেশখন নচলায়, দেশখন চলায় মানুহেহে, আৰু তেওঁৰ মন্ত্ৰী সভাত দেশ চলাব পৰা মানুহৰ যথেষ্ট অভাৱ। তেওঁৰ মন্ত্ৰী সভাত এনেকুৱা মানুহো আছে – যাৰ একমাত্ৰ কাম হ'ল চকু মুদি ফাইল চহী কৰা আৰু বিধান সভাত বিভাগীয় সচিবে লিখি দিয়া উত্তৰ পাঠ কৰা; তাকো কৰিবলৈ আকৌ ভাটৌক মাত লগাবলৈ শিকোৱাৰ দৰে বিষয়াসকলে তেওঁলোকক কথা শিকাব লাগে। তেওঁৰ মন্ত্ৰীসভাত এনেকুৱা মানুহে আছে – যিসকলে বাতৰি কাকতত সাক্ষাৎকাৰ দিবলৈ তলতীয়া বিষয়াৰ অনুমোদন বিচাৰে আৰু বিষয়াৰ সম্মতি নাপালে তেনে সাক্ষাৎকাৰ দিবলৈ সাহ নকৰে। যিহওক, মুখ্যমন্ত্ৰীয়ে এবছৰমানৰ আগতে মন্ত্ৰীসভাৰ পুনৰ্বিন্যাস কৰাৰ প্ৰয়োজন অনুভৱ কৰিলে আৰু দুই একৰ আগত সেই কথা ব্যক্তও কৰিলে। কিন্তু তেওঁৰ অস্থিৰ-চিত্ততা আৰু সিদ্ধান্ত লোৱাৰ অক্ষমতাৰ কাৰণে আজিলৈকে একো হৈ নুঠিল।

এতিয়া অৱশ্যে পৰিস্থিতি কিছু বেলেগ হৈছে। সম্প্ৰতি কাছাৰ আৰু উত্তৰ কাছাৰ জিলাৰপৰা দুজন

মন্ত্ৰী লোৱাৰ অনিবাৰ্য্য প্ৰয়োজন দেখা দিছে। ফলত এতিয়া নতুনকৈ কথা ওলাইছে যে এই সুযোগতে মন্ত্ৰীসভাখনত কিছু সাল-সলনি কৰা হ'ব পাৰে। কিন্তু মন্ত্ৰীসভাৰ সাল-সলনিৰ বিষয়ে ৰাইজৰ আগৰ কৌতূহল আৰু আগ্ৰহ এতিয়া আৰু নাই। দেশৰ অৰ্থনৈতিক সংকটে ভয়াবহ ৰূপ ধাৰণ কৰিছে। সেই সংকটৰ সমুখত তথাকথিত নেতাসকলৰ অৱস্থা গালিভাৰৰ লগত যুঁজ কৰিবলৈ যোৱা লিলিপুটৰ দলৰ নিচিনা হৈ পৰিছে। তদুপৰি ই কেৱল অৰ্থনৈতিক সংকটেই হৈ থকা নাই—ই এতিয়া নীতি আৰু আদৰ্শৰ সংকটৰ ৰূপ লৈছে। দাৰুণ মোহ ভংগৰ পিছত এতিয়া জনতাৰ চিত্ত বিক্ষুব্ধ আৰু উদ্বেলিত। সাম্প্ৰতিক মহা-সংকটৰ পৰা উদ্ধাৰ পাবৰ কাৰণে তেওঁলোকে আৰু কোনো স্বয়ম্ভু নেতাৰ মুখলৈ চাই থকা নাই, নেতাৰ বামন-স্কন্ধ অতিক্ৰম কৰি তেওঁলোকৰ অগ্নি-দৃষ্টি নিক্ষিপ্ত হৈছে আৰু বহুত দূৰলৈ। দেশত নীতি আৰু আদৰ্শৰ অগ্নি-পৰীক্ষা উপস্থিত হৈছে। এনে সময়ত কোন মন্ত্ৰী হয় কোন মন্ত্ৰী ভঙা যায়—জনতাৰ কাৰণে সেইটো আৰু ডাঙৰ প্ৰশ্ন হৈ থকা নাই। একেজাপ জৰা-জীৰ্ণ তাচ যিমান বাৰেই পুনৰ্বিন্যাস কৰা নহওক কিয়—খেলাৰ কৌশল আৰু খেলুৱৈ যদি সলনি নহয়, তেন্তে তেনে পুনৰ্বিন্যাসৰপৰা কিবা সুফল হ'ব বুলি এতিয়া আৰু কোনেও আশা নকৰে। বলদৰ গাৰ ওপৰত বহি থকা মাখি এটাই ভাবিছিল যে তাৰ গাৰ ভৰতেই বোধহয় বলদটোৱে কাণ-মূৰ জোকাৰি আছে। ইতিহাসৰ ৰথ-চক্ৰত লাগি থকা ধূলি-সদৃশ নেতাসকলেও নিজৰ কথা বোধহয় তেনেকৈয়ে ভাবে। কিন্তু ইতিহাসৰ সন্ধিক্ষণত উপনীত হোৱা জনতাই তথাকথিত নেতাসকলৰ কথা এতিয়া তেনেকৈ নাভাবে।

তথাপি ত্ৰাণ-কৰ্ত্তা নহালেকে দেশৰ দৈনন্দিন জীৱন-যাত্ৰা চলি থাকিবই লাগিব, আৰু তাৰ কাৰণে ৰোগাক্ৰান্ত মন্ত্ৰী-সভাতো যথা-সম্ভৱ জোৰা-টাপলি মাৰিব লাগিব। অভিজ্ঞতাৰপৰা শিক্ষা আহৰণ কৰিব পৰাটোৱেই প্ৰকৃত জ্ঞানী আৰু বুধিয়ক মানুহৰ লক্ষণ। শ্ৰীশৰৎচন্দ্ৰ সিংহই যদি সঁচাকৈয়ে মন্ত্ৰী-সভাৰ পুনৰ্বিন্যাস কৰিব খোজে, তেন্তে তেওঁৰ বিবেচ্য বিষয় মাত্ৰ দুটা আছে: হয় তেওঁ ৰাইজৰ মঙ্গল-বোধৰ মহৎ আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ সকলো তুচ্ছতাৰ ওপৰলৈ উঠি পাৰ্য্যমানে সাম্প্ৰতিক সংকটৰ মুখামুখি হ'ব পৰাকৈ এখন শক্তিশালী মন্ত্ৰী-সভা গঠন কৰিব লাগিব, অথবা চিৰাচৰিত ৰাজনীতিৰ খেলাৰ নিয়ম অনুসৰণ কৰি ব্যক্তিগত, আৰু গোষ্ঠী-গত আনুগত্যৰ বশীভূত হৈ এখন গতানুগতিক মন্ত্ৰী-সভা গঠন কৰিব। যদি তেওঁ প্ৰথমটো কৰিব খোজে, তেন্তে তেওঁৰ একমাত্ৰ বিবেচ্য বিষয় হ'ব লাগিব প্ৰতিভা আৰু কৰ্ম-দক্ষতা। ভাৰতৰ আন বহুতো ৰাজ্যতকৈ অসমৰ মুখ্যমন্ত্ৰী এতিয়াও যথেষ্ট সুবিধা-জনক অৱস্থাত আছে। অসমৰ শাসক দলৰ মাজত এতিয়াও তেনে কোনো উল্লেখযোগ্য উপদলীয় দ্বন্দ্ব-কলহ নাই। মুখ্যমন্ত্ৰীক ক্ষমতাচ্যুত কৰিব খোজা কোনো শক্তিশালী প্ৰতিপক্ষ নাই। আন বহুতো ৰাজ্যৰ নিচিনাকৈ অসমত জাত-পাতৰ ৰাজনীতিও নাই। যিখিনি সম্প্ৰতি হৈছে, সিও অসমৰ বৰ্তমান নেতাসকলৰেই সৃষ্টি। অসমৰ মুখ্যমন্ত্ৰীয়ে যদি তেওঁৰ অসপত্ন কৰ্তৃত্বৰ পূৰ্ণ প্ৰয়োগ কৰি এইবাৰো এখন সবল আৰু আদৰ্শস্থানীয় মন্ত্ৰীসভা গঠন কৰিব নোৱাৰে, বিৰাট শক্তিৰ বিৰুদ্ধে বৃহৎ অস্ত্ৰ-শস্ত্ৰৰে যুদ্ধ কৰিব লগাৰ সময়তো যদি তেওঁ তুচ্ছতাৰ বোকাত লেটি লৈ থাকিব খোজে, তেন্তে ভগবানে যেন তেওঁক ৰক্ষা কৰে।

অসমৰ মুখ্যমন্ত্ৰীয়ে যদি ৰাইজৰ অনুভূতিৰ প্ৰতি সম্মান ৰাখি মন্ত্ৰীসভাৰ পুনৰ্গঠন কৰিব খোজে, তেন্তে তেওঁ ঘাইকৈ দুটা কথা মনত ৰখা উচিত হ'ব। প্ৰথমতে, জাত-পাতৰ দোহাই দি বৰ্তমান সংকটৰ মুহূৰ্তত মন্ত্ৰীসভাখন বৰ্তমানতকৈ ডাঙৰ কৰা উচিত নহ'ব। বৰং 'প্ৰশাসনিক সংস্কাৰ কমিটি'ৰ পৰামৰ্শ অনুসৰি মন্ত্ৰীসভাখন এতিয়াতকৈ সৰু কৰাটোহে বাঞ্ছনীয় হ'ব। অন্যান্য ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে যিবোৰ অসুবিধাৰ

কাৰণে এই কাম কৰিব পৰা নাই, অসমৰ মুখ্যমন্ত্ৰীৰ সেইখিনি অসুবিধা নাই। গতিকে তেওঁ 'প্ৰশাসনিক সংস্কাৰ সমিতি'ৰ পৰামৰ্শ কাৰ্য্যকৰী কৰি আনৰ কাৰণে এটা ভাল আৰ্হি দাঙি ধৰিব পাৰে। দ্বিতীয়তে সম্প্ৰতি সমগ্ৰ দেশ-ব্যাপী জনতাৰ মন বিদ্ৰোহী হৈ উঠাৰ এটা প্ৰধান কাৰণ হ'ল মন্ত্ৰী আৰু নেতাসকলৰ বে-পৰোৱা দুৰ্নীতি। অৱশ্যে সত্যৰ খাটিৰত এই কথা স্বীকাৰ কৰিবই লাগিব যে ভাৰতৰ অন্যান্য ৰাজ্যিক মন্ত্ৰীসভাৰ তুলনাত অসমৰ মন্ত্ৰীসকলৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ নগণ্য। তথাপি জনতাৰ সাম্প্ৰতিক মতি-গতিলৈ লক্ষ্য ৰাখি মন্ত্ৰীসকল টীজাৰ-পত্নীৰ নিচিনাকৈ সকলো সন্দেহৰ উৰ্দ্ধত থকাটো বাঞ্ছনীয়। গতিকে অসমৰ যি কেইজন মন্ত্ৰীৰ সততাৰ ওপৰত মুখ্যমন্ত্ৰীৰ নিজৰ সম্পূৰ্ণ আস্থা নাই, তেনে লোকে পুনৰ্গঠিত মন্ত্ৰীসভাত স্থান পোৱাটো কাম্য নহয়। মুখ্যমন্ত্ৰীৰ নৈতিক প্ৰভাব আৰু কৰ্তৃত্ব আগতকৈ বহুত হ্ৰাস পাইছে, কিন্তু এতিয়াও যিখিনি আছে তাৰ বলেৰেই তেওঁ বিন্দু মাত্ৰ বিপদৰ ভয় নোহোৱাকৈ ইচ্ছা মতে মন্ত্ৰীসভাৰ সাল-সলনি কৰিব পাৰে। তেওঁ কোনো ব্যক্তি বা উপ-দলৰপৰা শক্তি আহৰণ কৰিবলৈ চেষ্টা নকৰি ৰাইজৰপৰা শক্তি আহৰণ কৰিবলৈ চেষ্টা কৰক, — কেৱল তেতিয়াহে তেওঁ কিছু কাম কৰিবলৈ আশা কৰিব পাৰে।

অসমৰ সাম্প্ৰতিক খাদ্য-সংকটৰ কাৰণে চৰকাৰ প্ৰত্যক্ষভাৱে দায়ী

ধান-চাউলৰ চৰকাৰী ব্যৱসায় যে সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে, সেই বিষয়ে সন্দেহৰ কোনো অৱকাশ নাই। প্ৰায় ছমাহৰ আগতে ঢাক-ঢোল পিটি আৰম্ভ কৰা এই 'বলিষ্ঠ সমাজবাদী পদক্ষেপে' ৰাজ্যখনক এক অভূতপূৰ্ব খাদ্য-সংকটৰ মৰণ-ফান্দত পেলাই দিছে। নীতিগতভাৱে আমি চৰকাৰৰ এই কাৰ্য্যক সম্পূৰ্ণ সমৰ্থন দিছিলো। আজিও আমি বিশ্বাস কৰো যে দেশৰ বৰ্তমান অৰ্থনৈতিক গাঠনিত জনসাধাৰণক সংঘবদ্ধ ব্যৱসায়ী শ্ৰেণীৰ অবাধ শোষণৰ পৰা মুক্ত কৰিবলৈ খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণৰ বাহিৰে আন উপায় নাই। যি সকল লোকে ভাবে যে প্ৰতিযোগিতামূলক মুক্ত বাণিজ্যই খাদ্য সামগ্ৰীৰ মূল্য সীমিত কৰি ৰখাত সহায় কৰে, তেওঁলোকে বোধহয় পাহৰি থাকে যে যোৱা কেইবছৰমানত খাদ্য-ব্যৱসায়ীসকল সংঘবদ্ধ হৈ এটা কাৰ্টেলত পৰিণত হৈছে আৰু তেওঁলোকে মুক্ত প্ৰতিযোগিতাৰ অৱকাশ নোহোৱা কৰি পেলাইছে। দেশৰ সমগ্ৰ জন-সাধাৰণ এই কাৰ্টেলৰ মৰ্জিৰ ওপৰত নিৰ্ভৰশীল। এনে অৱস্থাত চৰকাৰে মেকুৰীৰ মুখত নিগনিক এৰি দিয়াৰ দৰে সংঘবদ্ধ ব্যৱসায়ী শ্ৰেণীৰ মৰণ-গ্ৰাসত ৰাইজক অসহায় কৰি এৰি দিব নুখুজিলে খাদ্য-ব্যৱসায় নিজৰ হাতলৈ নিয়াৰ বাহিৰে আন একো উপায় নাই। গতিকে অযোগ্য লোকৰ হাতত পৰি গোটেই ব্যৱস্থাটো ব্যৰ্থ হ'ল বুলিয়েই নীতি হিচাবে সি ভুল বা পৰিত্যাজ্য বুলি প্ৰমাণিত হোৱাৰ কোনো কাৰণ ঘটা নাই।

ধান-চাউলৰ চৰকাৰী ব্যৱসায় ব্যৰ্থ হ'ল কিয়?

অসমৰ খাদ্য-সামগ্ৰীৰ বজাৰখন ভালকৈ অধ্যয়ন কৰা প্ৰতিজন লোকেই জানে যে বেপাৰী আৰু মিল-মালিকসকলে মিলি এটা কাৰ্টেল্ গঠন কৰিছে, আৰু চৰকাৰৰ নিজৰ হাতত যথেষ্ট গুদাম-ঘৰ আৰু মিল্ নথকাৰ কাৰণে চৰকাৰ এই কাৰ্টেলৰ দয়াৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। গতিকে মিলবোৰৰ নিয়ন্ত্ৰণ বা মালিকী-স্বত্ব নিজৰ হাতলৈ ননালৈকে আৰু পৰ্য্যাপ্ত পৰিমাণৰ বিজ্ঞান-সম্মত গুদাম-ঘৰৰ ব্যৱস্থা কৰিব নোৱৰালৈকে খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ এটা অবাস্তৱ আৰু অৰ্থ-হীন ব্যৱস্থা হৈ ৰবলৈ বাধ্য।

দ্বিতীয়তে, ধান-চাউলৰ এখন সীমিত মুকলি বজাৰ চলি থকাৰ ব্যৱস্থা ৰাখি আৰু সেই বজাৰৰ মূল্য-সীমা বান্ধি নিদি চৰকাৰে ধান-চাউলৰ চৰকাৰী ব্যৱসায়ৰ জন্ম-লগ্নতেই তাৰ মৃত্যু-দণ্ডৰ ব্যৱস্থা কৰি ৰাখিছে। চৰকাৰে যদি সুলভ মূল্যৰ দোকানবোৰৰ জৰিয়তে গ্ৰাহকৰ অন্ততঃ তিনি-চতুৰ্থাংশ প্ৰয়োজন পূৰ্ণ কৰিব পৰাকৈ চাউলৰ যোগান দিব পাৰিলেহেঁতেন আৰু সেই চাউল অতি নিকৃষ্ট মানৰ নহ'লহেঁতেন, তেতিয়াও হয়তো এই মুকলি বজাৰৰ পৰা খুব বেছি অপকাৰ নহ'লহেঁতেন। কিন্তু খাদ্য-ব্যৱসায় নিজৰ হাতলৈ নিয়াৰ দিন ধৰি চৰকাৰে সুলভ মূল্যৰ দোকানৰ জৰিয়তে একোটা পৰিয়ালৰ মাহেকীয়া প্ৰয়োজনৰ চাৰি ভাগৰ এভাগ চাউলো দিব পৰা নাই; যি চাউল দিছে, তাৰো মান সকলো সময়তে সন্তোষজনক নহয়। এনে অৱস্থাত গ্ৰাহকে বাধ্য হৈ মুকলি বজাৰৰ ওপৰতে বেছিকৈ নিৰ্ভৰ কৰিব লগা হৈছে, আৰু ফলত মুকলি বজাৰত চাউলৰ দাম দিনে দিনে উৰ্দ্ধমুখী হৈছে। তাৰ অনিবাৰ্য্য পৰিণতি এয়েই যে মুকলি বজাৰৰ বস্ত্ৰ-

পথেদি ৰাজ্যখনৰ বেছিভাগ ধান-চাউল চৰকাৰৰ হাতৰপৰা লাভখোৰ ব্যক্তিগত বেপাৰীৰ হাতলৈ গুচি গৈছে। আৰম্ভণিৰে পৰাই চৰকাৰে সুলভ মূল্যৰ দোকানৰ যোগেদি পৰ্য্যাপ্ত পৰিমাণৰ খাদ্যোপযোগী চাউলৰ যোগান দিব পৰা হ'লে এই অৱস্থা নহ'লহেঁতেন।

চৰকাৰৰ তৃতীয় মাৰাত্মক ভুল হ'ল অতিশয় উচ্চ-হাৰত চৰকাৰী চাউলৰ মূল্য নিৰ্ধাৰণ। কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া সূত্ৰ মতেই ধানৰ কিনা দাম কুইণ্টলত ৭০ টকা হ'লে চাউলৰ বেচা দাম কিলোগ্ৰামত ১.১০ টকাতকৈ বেছি হোৱা উচিত নহয়। তাৰ লগত আৰু ১০ পইচা যোগ দি ১.২০ টকা কৰা হ'লেও বেছি আপত্তিৰ কথা নাছিল। কিন্তু ব্যক্তিগত বেপাৰীৰ লগত সমানে পাল্লা দি চৰকাৰেও লাভখোৰ হবলৈ গৈ চাউলৰ দাম ধাৰ্য্য কৰিলে কিলোগ্ৰামত ১.৬০ টকা আৰু ১.৬৮ টকাকৈ। ই এহাতে যেনেকৈ জীৱনধাৰণৰ ব্যয়মাত্ৰা বঢ়াই দি ৰাজ্যখনত এক সৰ্বাত্মক অৰ্থনৈতিক সংকটৰ সৃষ্টি কৰিলে, আনহাতে সি তেনেকৈ ব্যক্তিগত ব্যৱসায়ীসকলকো চৰকাৰী সংগ্ৰহ-মূল্যতকৈ বহুত বেছি উচ্চ মূল্যত ধান কিনিবলৈ উৎসাহিত কৰিলে। কাৰণ চৰকাৰী চাউলৰ দামেই কিলোগ্ৰামত ১.৬৮ টকা হ'লে ব্যক্তিগত ব্যৱসায়ীসকলে কুইণ্টলত ১০০ টকা দি ধান কিনিলেও তেওঁলোকৰ বিশেষ লোকচান নহয়। কিন্তু গ্ৰাহকৰ মুঠ প্ৰয়োজনৰ চাৰিভাগৰ এভাগ চাউলো যেতিয়া চৰকাৰী নিয়ন্ত্ৰিত মূল্যত পোৱা নাযায়, আনহাতে চৰকাৰে মুকলি বজাৰৰ দামো বান্ধি দিয়া নাই, তেনেস্থলত ৰাজ্যখনৰ বেছিভাগ ধান-চাউল ব্যক্তিগত ব্যৱসায়ীৰ হাতলৈ গুচি যোৱাত কিবা আচৰিত হব লগা কথা আছেনে? চৰকাৰে নিজেই ৰাইজক ব্যক্তিগত ব্যৱসায়ী আৰু অনিয়ন্ত্ৰিত মুকলি বজাৰৰ মৰণ-ফান্দত পেলোৱাৰ ব্যৱস্থা কৰি ৰাখি এতিয়া চকুত তেল দি কান্দি দেখুৱালেই ৰাইজ ভোল যাবনে? ধান-চাউলৰ চোৰাং চালান বন্ধ কৰিব পৰাটো আছিল চৰকাৰী ব্যৱসায়ৰ কৃতকাৰ্য্যতাৰ অন্যতম পূৰ্ব-চৰ্ত। ৰাইজে সময় থাকোতেই এই বিপদৰ কথা চৰকাৰক সকিয়াই দিছিল। কিন্তু দুৰ্নীতিপৰায়ণ আৰু অকৰ্মণ্য শাসন-যন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল বাক্-সৰ্বস্ব চৰকাৰে এই চোৰাং চালান বন্ধ কৰাৰো কোনো শক্তিশালী ব্যৱস্থা লব নোৱাৰিলে। ধান-চাউলৰ চৰকাৰী ব্যৱসায় ব্যৰ্থ হোৱাৰ আৰু এটা কাৰণ হ'ল সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচন। এই বিষয়ে বহলাই ব্যাখ্যা কৰাৰ নিশ্চয় প্ৰয়োজন নাই।

যি চৰকাৰে ৰাজ্যখনৰ লাখ লাখ মানুহৰ জীৱন-মৰণৰ সমস্যাক লৈ ল'ৰা-ধেমালী কৰাৰ স্পৰ্ধা দেখুৱাইছে, যি চৰকাৰে ৰাইজক চৰকাৰৰ আধা-সিজা সমাজবাদৰ পৰীক্ষাগাৰৰ গিনিপিগত পৰিণত কৰিছে, ৰাইজ-মেলত এদিন নহয় এদিন সেই চৰকাৰৰ বিচাৰ নহ'বনে?

মজুত-উদ্ধাৰ

চৰকাৰৰ নিষ্ক্ৰিয়তা আৰু অকৰ্মণ্যতাই ৰাজ্যখনক এক অভূতপূৰ্ব খাদ্য-সংকটৰ গ্ৰাসলৈ লৈ যোৱাৰ সময়ত ছাত্ৰসকলে মজুত-উদ্ধাৰ অভিযানত নামিব লগা হ'ল। এই কথা সুনিশ্চিত যে মজুত কৰি থোৱা ধান-চাউল উদ্ধাৰ কৰি বজাৰত মুকলি কৰি দিব নোৱাৰিলে এইবাৰ ৰাজ্যখনৰ লাখ লাখ মানুহৰ বিলাই-বিপত্তিৰ সীমা নোহোৱা হব; কাৰণ বাহিৰৰ পৰা খাদ্য-সামগ্ৰী অহাৰ আশা নাই, আনহাতে স্থানীয়ভাৱে ধান সংগ্ৰহ কৰাৰো দিন পাৰ হৈ গৈছে। যিহেতু যোৱা বছৰত অসমত ধানৰ উৎপাদন প্ৰয়োজনতকৈ কিছু বেছিহে হৈছিল; (যাৰ কাৰণে মুখ্যমন্ত্ৰীয়ে পশ্চিম বংগ আৰু ত্ৰিপুৰালৈ চাউল ৰপ্তানী কৰি বদান্যতা দেখুৱাব পাৰিছিল), গতিকে অসমৰ মানুহৰ প্ৰয়োজন পূৰ্ণ কৰিব পৰাকৈ এতিয়াও নিশ্চয় যথেষ্ট ধান-চাউল আছে। সিয়ে যেনিবা জমা হৈ আছে ধনী খেতিয়ক আৰু লাভ-খোৰ বেপাৰীৰ চোৰাং ভঁৰালত। এতিয়া এই মজুত ধানখিনি উদ্ধাৰ কৰি বজাৰত উলিয়াই দিব পৰাটোৱেই হ'ল অসমক আগন্তুক সংকটৰ পৰা ৰক্ষা কৰিব পৰাৰ একমাত্ৰ উপায়। চৰকাৰে এই কাম কৰিব নোৱাৰে। তাৰ কাৰণে চৰকাৰৰ প্ৰয়োজনীয় দৃঢ়তা, ইচ্ছা-শক্তি আৰু সংগঠন নাই। গতিকে ছাত্ৰ আৰু যুৱকসকলে এই কাম কৰিবলৈ ওলাই আহি সমাজৰ প্ৰতি এটা মহৎ নৈতিক দায়িত্ব পালন কৰিছে। চৰকাৰে বিপদৰ সময়ত সদায় ৰাইজৰ সহযোগিতা বিচাৰে। কিন্তু এই সহযোগিতাৰ ৰূপ কি হোৱা উচিত, সেইটো তেওঁলোকে কেতিয়াও নিৰ্দিষ্ট কৰি দিব নোৱাৰে। বৰ্তমান মুহূৰ্তত ছাত্ৰ আৰু যুৱকসকলে মজুত ধান-চাউল উদ্ধাৰ কৰি চৰকাৰ আৰু ৰাইজক সহায় কৰাতকৈ ডাঙৰ কাৰ্য্যকৰী সহযোগিতা আন একো হ'ব নোৱাৰে। সমস্যা যিমানেই কঠিন হয়, তাৰ সমাধানো সিমানেই উগ্ৰ হবলৈ বাধ্য হয়। ধান-চাউলৰ ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণৰ ব্যৱস্থাক ব্যৰ্থ কৰিবলৈ উঠি-পৰি লগা সংঘবদ্ধ ব্যৱসায়ী শ্ৰেণীৰ ষড়যন্ত্ৰ মষিমূৰ কৰিবলৈ এতিয়া চৰকাৰ বা ৰাইজে চৰম পন্থা লোৱাৰ বাহিৰে আন একো উপায় নাই। গতিকে ছাত্ৰসকলৰ মজুত উদ্ধাৰ অভিযান এসপ্তাহ বা দহ দিনৰ কাৰণে কৰা এটা প্ৰতীকী ব্যৱস্থাতে আবদ্ধ নাথাকি লক্ষ্যস্থলত উপনীত নোহোৱালৈকে চলি থকা এটা অবিৰাম অভিযানত পৰিণত হোৱাটো দৰকাৰ বুলি আমি ভাবোঁ। কিছুদিনৰ আগতে কমিউনিষ্ট পাৰ্টিয়ে এদিন নে দুদিনৰ কাৰণে এটা চুৰ্চুৰিয়া মজুত উদ্ধাৰ অভিযান চলাইছিল। কিন্তু তেওঁলোকৰ সেই প্ৰতীকী অভিযানে চিকুটি লাও বুঢ়া কৰাৰ দৰে ব্যৱসায়ী সকলৰ ছাল বেছি ডাঠ কৰিহে তুলিলে। তাৰ পিছতে মূল্য-বৃদ্ধি আৰু অনাটন যেতিয়া তীব্ৰতৰ হৈ উঠিল, তেতিয়া এই মজুত উদ্ধাৰকাৰী সকলৰ অস্তিত্ব ক'তো দেখা নগ'ল। এনে প্ৰতীকী কাৰ্য্যৰ দ্বাৰা কোনো একো লাভ নহয়। ছাত্ৰসকলৰ সাম্প্ৰতিক অভিযানে নৈতিক শক্তিৰে বলীয়ান হৈ এনে এটা সৰ্বাত্মক ৰূপ লোৱা উচিত—যাৰ ফলত সমাজৰ শত্ৰুবোৰৰ মনত আতংকৰ সঞ্চাৰ হ'ব পাৰে আৰু সিহঁতে ৰণ-ভংগ দি চিৰকাললৈ পলাই ফাট্ মাৰে। আন কথাত ই হোৱা উচিত এক সৰ্বাত্মক সাংস্কৃতিক বিপ্লৱ।

কোনো কোনো মহলৰ পৰা এনে আপত্তি শুনা গৈছে যে কোনোবোৰ বস্তু চোৰাং মজুত আৰু কোনোবোৰ চোৰাং মজুত নহয়—সেই কথা নিৰ্ণয় কৰা যিহেতু সম্ভৱ নহয়, সেই কাৰণে সাম্প্ৰতিক মজুত

উদ্ধাৰ অভিযান কৃতকাৰ্য্য হোৱাৰ আশা নাই। এইবোৰ হ'ল কিতাপত লিখা আইনৰ কথা। আমাৰ নিচিনা সমাজ-ব্যৱস্থাত কিতাপৰ আইনে কেৱল ধনী আৰু সুবিধা-ভোগী মানুহকহে সহায় কৰে। কিন্তু নৈতিক আইনে দাবী কৰে যে যিবোৰ মানুহে প্ৰয়োজনতকৈ অধিক খাদ্য-সামগ্ৰী মজুত ৰাখি লাখ লাখ দৰিদ্ৰ অসহায় মানুহক অনাহাৰ-জনিত মৃত্যুৰ মুখলৈ ঠেলি দিছে বা তেওঁলোকক হৃত-সৰ্বস্ব ভিক্ষাৰীত পৰিণত কৰিছে, সেই সকলোবোৰ মানুহেই বৰ্তমান মুহূৰ্তত চোৰাং মজুত-দাৰ। অভাবৰ সময়ত সেই খাদ্য-সামগ্ৰী সকলোৰে সমানে ভাগ কৰি খাবলৈ তেওঁলোকক বাধ্য কৰিব লাগিব। চহৰত বহি বহি কলম পিহা বুদ্ধিজীৱীয়ে গাঁৱে-ভূঞে বৰ্তমান কি অৱস্থা হৈছে সেই কথা কল্পনা কৰিব নোৱাৰিব। দুখীয়া মানুহৰ পেটলৈ ভাত ঠেলাৰ একমাত্ৰ উপায় নিমখকণো আজি মহাৰ্ঘ্য আৰু দুষ্প্ৰাপ্য বস্তুত পৰিণত হৈছে। কেৰাচিন তেলৰ মূল্য-বৃদ্ধি আৰু নাটনিৰ ফলত দুখীয়াৰ ভগা-পঁজাত আঁউসীৰ অন্ধকাৰ বিৰাজ কৰিছে। কিলোত তিনি টকা দি চাউল কিনি খাব লগা হোৱাৰ ফলত লাখ লাখ মানুহে গৰু-গাই ঘটি-বাতি বিক্ৰী কৰি সৰ্বস্বান্ত হৈছে বা ধনী মহাজনৰ ক্ৰীত-দাসত পৰিণত হৈছে। দেশত আজি এনে অৱস্থা হৈছে যে ক্ষুধাৰ জ্বালাত পিতৃ-মাতৃয়ে নিজৰ সন্তানক বজাৰত বিক্ৰী কৰাৰ খবৰো মানুহে সহজভাৱে লব পৰা হৈছে। বৰ্তমানৰ খাদ্য-সংকট হয়তো ছমাহ বা এবছৰত শেষ হ'ব, কিন্তু এই সংকটৰ সময়ত ধাৰত পোত যোৱা হাজাৰ হাজাৰ দৰিদ্ৰ মানুহে তাৰ যন্ত্ৰণাময় ক্ষত-চিহ্ন বহন কৰিব লাগিব সমস্ত জীৱন ধৰি। দেশত আজি যাৰ ৰাজত্ব চলিছে সি আইন নহয়, সি হ'ল মাৎস্য-ন্যায়। এই আইনৰ দোহাই দি যিসকল লোকে লাভ-খোৰ আৰু মজুতদাৰক ৰক্ষা কৰিব খোজে, তেওঁলোকে সকলো আইনৰ ওপৰত থকা মানুহৰ নৈতিক আইনৰ বিৰোধিতা কৰে। আমি বিচাৰো যে এই নৈতিক আইনৰ নিৰ্দেশ মানি চৰকাৰ আৰু ৰাইজ একগোট হওক, আৰু merchant of Death অৰ্থাৎ 'মৃত্যুৰ বেপাৰী'সকলৰ বিৰুদ্ধে তেওঁলোকে এক নিৰ্মম সংহাৰকাৰী অভিযান চলাওক। ছাত্ৰসকলৰ সাম্প্ৰতিক মজুত উদ্ধাৰ অভিযানৰ মূলতে যি নৈতিক প্ৰেৰণাই কাম কৰিছে, সেই প্ৰেৰণা আৰু উদ্যমক সমাজৰ মংগলকাৰক উদ্দেশ্যত নিয়োজিত কৰিবলৈ চৰকাৰে আৰু ৰাইজে এটা ডাঙৰ সুযোগ পাইছে। সেই সুযোগৰ সদ্ব্যৱহাৰ কৰিব পাৰিলে বৰ্তমানৰ সংকট অতিক্ৰম কৰাত আৰু লগতে সমাজ-বিৰোধী শক্তিবোৰক দমন কৰাত ডাঙৰ সহায় পোৱা যাব। ছাত্ৰসকলেও তেওঁলোকৰ আন্দোলনৰ নৈতিক উৎস যাতে কোনো সময়তে শুকাই নাযায় আৰু সি এটা খন্তেকীয়া আত্মক্ষয়ী উত্তেজনাত পৰ্য্যবসিত নহয়, তাৰ প্ৰতি সদা-সতৰ্ক দৃষ্টি ৰাখিব লাগিব।

অবাস্তৱ! অবাস্তৱ!!

ক'বলৈ গ'লে আমাৰ দেশৰ কোনো ৰাজ্যতেই আজিকালি কোনো 'বন্‌ধ' নাইবা হৰতালৰ আহ্বান ব্যৰ্থ নহয়, অৱশ্যে যদি চৰকাৰে সেই হৰতাল পালনত বাধা নিদিয়ে। আৰু এটা কথা। হৰতালৰ আহ্বানটো যিসকলে দিব, তেওঁলোকৰ প্ৰতি গণ-সমৰ্থন নাইবা শ্ৰদ্ধা-ভক্তি নেথাকিলেও তেওঁলোকৰ ক্ষমতাৰ প্ৰতি আস্থা—অৰ্থাৎ, ভয় থাকিব লাগিব। হৰতালৰ সাফল্য অসাফল্য ঘাইকৈ নিৰ্ভৰ কৰে চহৰ অঞ্চলত দোকানপাট বন্ধ ৰখা-নৰখাৰ ওপৰত।

এই ক্ষেত্ৰত আমি দেখিছোঁ আমাৰ দেশত অধিকাংশ হৰতালেই শতকৰা প্ৰায় এশভাগ সাফল্যমণ্ডিত হয়। কংগ্ৰেছৰ নিচিনা কোনো সন্থাই আহ্বান কৰিলে আমাৰ দেশত প্ৰাক্‌স্বাধীনতা কালত গোটেইবোৰ হৰতাল সফল হৈছিল সন্থাৰ প্ৰতি সৰহভাগ ৰাইজৰ শ্ৰদ্ধা আৰু সমৰ্থন আৰু চৰকাৰৰ প্ৰতি ভয়তকৈয়ো বেছি ঘৃণা থকাৰ বাবে আজিকালি চৰকাৰৰ প্ৰতি মানুহৰ ঘৃণা থকাৰ অৱশ্যে কথাই নুঠে, পিচে ভয়ো নাই (কাৰণটো সকলোৱেই জানে) – ভয় এতিয়া আনৰ প্ৰতি। কিয়নো সেই আন ব্যক্তি আমাৰহে মানুহ, যেনেকৈ চৰকাৰো আমাৰ। গতিকে চৰকাৰে আপোনাক-মোক আনৰ প্ৰতি ভয়ৰ পৰা ৰক্ষা কৰাৰ প্ৰশ্ন নুঠে। তদুপৰি ইও সঁচা যে আজিকালি আমাৰ দেশত গণতন্ত্ৰৰ বিধি-ব্যৱস্থা চৰকাৰেও পাৰ্য্যমানে মানি চলি আছে।

গতিকেই, আমাৰ ৰাজ্যত ৩ মে' তাৰিখৰ সাধাৰণ হৰতাল সম্পূৰ্ণ সফল হ'ল, যুবক কংগ্ৰেছ আৰু ছাত্ৰসকলৰ মজুত-উদ্ধাৰ সফল হ'ল, পিচত ছাত্ৰসকলৰ ছদিন জোৰা পিকেটিঙো সফল হ'ল। কিন্তু ১৫ মে'ৰ হৰতাল অন্ততঃ এই গুৱাহাটী নগৰীত পুলিচে সম্পূৰ্ণ সফল হবলৈ নিদিলে; সশস্ত্ৰ পুলিচে যেতিয়াই ক'লে, দোকানপাট তেতিয়াই খুলি গ'ল।

৩ মে'ৰ হৰতালৰ প্ৰধান এটা কাৰণ আছিল ৰাজ্যত অতিকৈ খাদ্যাভাৱ আৰু মূল্যবৃদ্ধি; গতিকেই এই হৰতালৰ প্ৰতি সাধাৰণ ৰাইজৰ সমৰ্থন আছিল, ব্যৱসায়ীসকলৰ ভীতি আছিল। ১৫ মে'ৰ হৰতালৰ কাৰণ আছিল ৰেল ধৰ্মঘট। এই ধৰ্মঘটৰ আহ্বান দিছিল অকংগ্ৰেছী ট্ৰেড ইউনিয়নবিলাকে। কিন্তু তেওঁলোকে অকল উদ্যোগ সংস্থাবোৰ বন্ধ ৰখাৰ কথাহে কৈছিল, দোকানপাট বন্ধ ৰখাৰ কথাতো কোৱা নাছিল। তথাপি ভয়তে যিবোৰ দোকান বন্ধ হৈছিল, ভয়হাৰী পুলিচ আগবাঢ়ি আহিলতে সেই দোকানবোৰ খুলি গ'ল। অকল পুলিচেই নহয়, কংগ্ৰেছী মহিলাসকল—যিসকলে আগৰ কোনো এটাও হৰতাল, পিকেটিঙত মূৰ ঘমোৱা নাছিল—১৫ মে'ৰ ৰেলধৰ্মঘটৰ সমৰ্থনত হোৱা হৰতাল পণ্ড কৰিবৰ নিমিত্তে ৰুকালত টঙালি বান্ধি ওলাই আহিছিল।

হৰতালৰ সাফল্য নাইবা ব্যৰ্থতা নহয়, মোৰ বক্তব্য কিন্তু বেলেগ। ৩ মে'ৰ নাইবা ১৫ মে'ৰ হৰতালৰ উদ্যোক্তাসকললৈ মোৰ প্ৰশ্ন : হৰতালৰ আগে পিচে আন কোনো কাৰ্য্যসূচী নথকাটোৱে যদি এইটোৱেই সূচাইছে যে আপোনালোকৰ ৰাজনীতি হৰতাল সৰ্বস্ব, তেনেহ'লে কওকচোন সেই দুদিনৰ হৰতালৰ লাভালাভ কি হ'ল? নাটনি থকা সত্বেও দুদিন দোকানপাট, বজাৰ বন্ধ থাকিল, খোৱা বস্তুৰ দাম আৰু বাঢ়িল। মুঠতে,

সমস্যা অকণো শাম নাকাটিল। ৰেল ধৰ্মঘটো যেনে আছিল, তেনেই থাকি গ'ল—আনকি হৰতালৰ পিচতো ৰেল শ্ৰমিকৰ ওপৰত অত্যাচাৰ বাঢ়িল। আপোনালোকেতো হৰতাল আহ্বানৰ পৰম কৰ্তব্য পালন কৰি, সন্ধিয়া ৰাজহুৱা সভাত হৰতালৰ সাফল্যৰ কাৰণে নিজৰ কৃতিত্ব, নিজকে ধন্য মানি ঘৰত সোমালগৈ। হৰতালৰ পৰিবৰ্তে যদি হেজাৰ হেজাৰ মানুহৰ বিৰাট শোভাযাত্ৰা কৰালেহেঁতেন, বাটৰ মূৰে মূৰে ৰেলকৰ্মীৰ দাবীৰ সমৰ্থনত দিনত অন্ততঃ এখনকৈ সভা পাতিলেহেঁতেন, ফলাফল—মোৰ মতে—আৰু বেছি ভাল হ'লহেঁতেন। আন একো নহলেও দোকানপাট বন্ধ থকাত যিবোৰ মানুহৰ ক্ষতি হৈছে আৰু মনে মনে ৰেল ধৰ্মঘটৰ প্ৰতি এটা অহেতুক বিৰূপ মনোভাবৰ সৃষ্টি হৈছে সেইখিনি নহ'লহেঁতেন।

০ ০ ০

অসমৰ সাম্প্ৰতিক খাদ্য-পৰিস্থিতি সম্পৰ্কে সাপ্তাহিক নীলাচলৰ প্ৰতিনিধি গৰাকীক মুখ্যমন্ত্ৰীয়ে কোৱা কথাৰ সাৰমৰ্ম হৈছে ঃ 'চৰকাৰৰ পাইকাৰী ব্যৱসায় ব্যৰ্থ হোৱা নাই, বৰং কৃতকাৰ্য্য হৈছে' আৰু 'বৰ্তমানৰ খাদ্যনীতি সংশোধনৰ কোনো থল নাই।' ৰিপোৰ্টটো পঢ়ি মনে মনে মুখ্যমন্ত্ৰী আত্মবিশ্বাসৰ আৰু নীতিৰ দৃঢ়তাৰ শলাগ লৈছিলোঁ। ভাবিছিলোঁ, খাদ্য পৰিস্থিতিৰ বিষয়ে আন আন মানুহৰ দৰে দেখাক দেখি দুৰ্মুখেও যে ইমানদিন চৰকাৰৰ সমালোচনা কৰিছিল, সি একেবাৰে ভুল হৈছে, অজ্ঞতাৰ পৰিচয় দিয়া হৈছে। অৱশ্যে নীলাচল পঢ়াৰ পিচতো মনত কিছুমান সন্দেহ - সংশয় থাকি গৈছিল; তথাপি ভাবিছিলোঁ — সেই সন্দেহ সংশয়বোৰ অমূলক। পিচে, বাতৰি কাকতত পঢ়িবলৈ পালোঁ যে সাম্প্ৰতিক খাদ্য পৰিস্থিতি এনে জটিল হৈ পৰিছে যে মুখ্যমন্ত্ৰীয়ে বোলে এ-পি-চি-চি আৰু এ-চি-এল-পি আৰু দুয়োটাৰে কাৰ্য্যনিৰ্বাহক কমিটীবো এখন যুক্ত সভা আহ্বান কৰিছে নাইবা কৰাইছে। অকল সেয়ে নহয় ঃ মুখ্যমন্ত্ৰীয়ে বোলে বিধান সভাৰ বিৰোধী দলৰ সদস্যসকলকো সেই পৰিস্থিতি সম্পৰ্কে আলোচনাৰ যোগেদি পৰিত্ৰাণৰ উপায় নিৰ্ধাৰণৰ উদ্দেশ্যে এখন বৈঠক মাতি পঠিয়াইছে।

পাচত, বহুতৰপীয়া সেইবোৰ আলোচনা-বিলোচনাৰ ফলাফল অৰ্থাৎ সিদ্ধান্তবোৰো কাকতত্তেই মন দি পঢ়িলোঁ। আপোনালোকেও অৱশ্যে পঢ়িছে। চৰকাৰৰ নীতি যদি ব্যৰ্থই হোৱা নাই, তেন্তে এই বৈঠকৰনো কি প্ৰয়োজন আছিল? আৰু এইবোৰৰ প্ৰস্তাৱ সমূহতো কিয় চৰকাৰৰ খাদ্য নীতিৰ প্ৰশস্তিৰ পৰিবৰ্তে পৰিতাপ ধ্বনিত হ'ল। এইবোৰ প্ৰস্তাৱত যদি খাদ্যনীতি সংশোধনৰ চুপাৰিচ কৰা নাই, তেনেহ'লে ইমান দীঘল প্ৰস্তাৱত আননো কি কৰা হৈছে?

মোৰ মতে ৰাজ্য কংগ্ৰেছৰ যুক্ত বৈঠকৰ যিটো প্ৰস্তাৱ, সেই প্ৰস্তাৱ চৰকাৰে মানি ললেই খাদ্যনীতি সংশোধন কৰা হ'ল বুলি স্বীকাৰ কৰিব লাগিব। অৱশ্যে, সেই সংশোধনো সম্ভৱতঃ সম্পৰ্ণ হোৱা নাই, অতি সোনকালে সেই সংশোধনবো আৰু এলানি সংশোধনৰ প্ৰয়োজন হ'ব পাৰে। আনহাতে, বৰ্তমান খাৰিফ বছৰটো শেষ হ'বলৈ আৰুতো কেইমাহনামন বাকী আছেই। মই দোহাৰি কবলৈ বিচাৰোঁ যে অকল মজুত উদ্ধাৰৰ সাফল্যৰ ওপৰতেই খাদ্য পৰিস্থিতিৰ চৰম সাফল্য নিৰ্ভৰ কৰিছে।

০ ০ ০

বিৰোধী দলৰ বিধায়কসকলক মাতি আনি খাদ্য পৰিস্থিতি আৰু আন আন ৰাজনৈতিক তথা অৰ্থনৈতিক সমস্যাবোৰ আলোচনা কৰা, তেওঁলোকৰ পৰা পৰামৰ্শ আদায় কৰা এটা ভাল আৰু প্ৰশংসনীয় গণতান্ত্ৰিক

পন্থা। প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীও এই ব্যৱস্থাৰ পৃষ্ঠপোষক। কিন্তু বিৰোধী দলৰ বিধায়ক সকলৰ লগত পৰামৰ্শ কৰাৰ প্ৰয়োজন আৰু থল বিধানসভাৰ অধিৱেশন বহি থকাৰ সময়তহে বেছি থাকে। আৰু সেই আলোচনাৰ বিষয়-বস্তুও যদি বিধানসভাৰ বিষয়-বস্তুৰ লগত সঙ্গতিপূৰ্ণ হয়, তেতিয়াহে আলোচনাৰ এটা যথাৰ্থ তাৎপৰ্য্য থাকে। অধিৱেশন নবহাৰ সময়ত সাধাৰণভাৱে ক'বলৈ গ'লে বিধায়ক সকলতকৈ তেওঁলোকৰ পাৰ্টিৰ সাংগঠনিক নেতাসকলৰহে গুৰুত্ব বেছি, কিয়নো বিধান সভাৰ বাহিৰে বাইজৰ মাজত সাংগঠনিক শাখাই দলীয় ৰাজনীতি ৰূপায়িত কৰে।

গতিকে, যোৱা সপ্তাহত দিছপুৰত মুখ্যমন্ত্ৰী আৰু বিৰোধী এম-এল-এ সকলৰ যি বৈঠক হৈ গ'ল তালৈ পাৰ্টিবোৰৰ ৰাজ্যিক পৰ্যায়ৰ নেতৃবৰ্গকো মতা হ'লে বৈঠকখন অধিকতৰ গুৰুত্বব্যঞ্জক আৰু ফলপ্ৰসূ হ'লহেঁতেন। অৱশ্যে, তেনেধৰণৰ এখন বৃহত্তৰ সন্মিলন এতিয়াও হোৱাৰ অৱকাশ আছে।

দ্বিতীয়তে, সাম্ভাব্য ছাত্ৰ আন্দোলন সম্পৰ্কে কোনো নীতি গ্ৰহণ কৰাৰ আগতে ছাত্ৰসকলৰ লগত দীঘলীয়া আলোচনা কৰা দৰ্কাৰ। এই আলোচনা ব্যৰ্থ হ'লেহে আনকথা ভবাৰ প্ৰশ্ন উঠে।

মোৰ আশা, মুখ্যমন্ত্ৰীয়ে অচিৰেই তেনে আলোচনাৰ বাবে চেষ্টা কৰিব।

সাপ্তাহিক নীলাচল, ২৮০ সংখ্যা : ৫ জুন, ১৯৭৪ চন

পিতনিত পৰা সিংহ

মহকুমা পৰিষদবোৰ গঠন হোৱা বহুতদিন হৈ গ'ল। কিন্তু সেইবোৰক দিব লগা ক্ষমতা আৰু কামৰ দায়িত্ব এতিয়াও দিয়া হোৱা নাই। ইয়াৰ কাৰণ সোধাত মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছিল যে ৰাজ্যখনত ইটোৰ পাচত সিটোকৈ একে লেথাৰিয়ে নানা সংকটৰ সৃষ্টি কৰি থকা হৈছে আৰু তাৰ কাৰণেই তেওঁ কৰিব লগা কাম এটাও কৰিবপৰা নাই। সেই একেটা কাৰণতে মহকুমা পৰিষদক ক্ষমতা দিয়াৰ কামটোও পেলাই থব লগা হৈছে।

কাম কৰা মানুহৰ লক্ষণ কিন্তু এইটো নহয়। সংকট সদায় থাকেই; বিশেষকৈ দাৰিদ্ৰ্য, নিৰক্ষৰতা আৰু কু-সংস্কাৰৰ অন্ধকাৰ পাতালৰপৰা এখোজ এখোজকৈ ওপৰলৈ উঠিব খোজা সমাজ এখনৰ পক্ষে সংকটেই হ'ল একমাত্ৰ বিধি-লিপি, প্ৰতিটো মুহূৰ্তৰ উশাহ-নিশাহ। কাম কৰা মানুহে সেই সংকটৰ মাজতেই কাম কৰি থাকে। তদুপৰি আৰু এটা প্ৰশ্ন উঠিব পাৰে : প্ৰথমে কুকুৰাৰ সৃষ্টি হৈছে নে কণীৰ সৃষ্টি হৈছিল? অৰ্থাৎ চৰকাৰে কাম কৰিব নোৱৰাৰ কাৰণেই সংকটৰ সৃষ্টি হৈছে নে সংকটৰ কাৰণেই কাম কৰিব নোৱৰা হৈছে? প্ৰথম প্ৰশ্নটোৰ উত্তৰ প্ৰকৃতিৰ দুৰ্জ্ঞেয় ৰহস্য বা সৃষ্টিৰ স্মৰণাতীত ইতিহাসৰ অন্ধকাৰত লুকাই আছে, গতিকে সেই বিষয়ে তৰ্ক অৰ্থহীন। কিন্তু দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ বাস্তৱ অভিজ্ঞতাৰ পৰাই আমি সকলোৱে জানো। সংকটৰ যদি সৃষ্টি হৈছে, তেন্তে চৰকাৰ নিজেই তাৰ কাৰণে দায়ী। কৰিব লগা কামবোৰ ঠিক সময়ত কৰিব নোৱৰাৰ কাৰণেই উপৰ্য্যুপৰি সংকটৰ সৃষ্টি হৈছে।

কিন্তু কোনো সংকটেই কাম কৰিব নোৱৰাৰ অজুহাত হ'ব নোৱাৰে। কাৰণ ন্যূনতম বুদ্ধি-বৃত্তি থকা মানুহেও এই কথা জনা উচিত যে সংকটৰ দোহাই দি কাম নকৰিব বহি থাকিলে সি ক্ৰম-বৰ্দ্ধমান সংকটৰ সৃষ্টি কৰি গৈ থাকে। ফলত তেনে মানুহৰ অৱস্থা হয় পিটনিত পৰা হাতীৰ নিচিনা (নে সিংহৰ নিচিনা?)। পিতনিত এবাৰ পৰাৰ পাচত যিমানেই সি ওপৰলৈ উঠিবলৈ চেষ্টা কৰে, সি তললৈহে সোমাই যায় আৰু এসময়ত তাৰ সকলো সংগ্ৰামৰ অন্ত পৰে।

দ্বিতীয় মহাযুদ্ধ চলি থকা সময়ৰ কথা। প্ৰায় সমগ্ৰ ইউৰোপ তেতিয়া হিটলাৰৰ পদানত। জাৰ্মান বিমান-বাহিনীৰ অবিৰাম বোমা-বৰ্ষণত লণ্ডন মহানগৰী ধ্বংস-স্তূপত পৰিণত হোৱাৰ উপক্ৰম। সেই যাত্ৰাত গ্ৰেট বৃটেইন যে ৰক্ষা পৰিব – সেই কথা স্বয়ং চাৰ্চিলেও বোধহয় কল্পনা কৰিবপৰা নাছিল। চৰম দুৰ্ভাগ্যৰ কাৰণে প্ৰস্তুত হৈ ঠিক এই সময়তে চাৰ্চিলে দেশবাসীৰ প্ৰতি উদাত্ত আহ্বান জনাই কৈছিল : If this long Island Story of ours is to end at last, let it end only when each one of us lies chocking in his own blood upon the ground. অৰ্থাৎ "যদি আমাৰ এই দ্বীপৰ সুদীৰ্ঘ ইতিহাস অৱশেষত অন্তই পৰিব লাগে, তেন্তে আমাৰ প্ৰত্যেকেই মাটিত নিজৰ তেজত লুতুৰি-পুতুৰি হৈ পৰি যোৱাৰ পাচতহে যেন সি অন্ত পৰে।" – ইংৰাজ জাতিৰ ইতিহাসত ইয়াতকৈ ডাঙৰ সংকট আগতে কোনো দিনে হোৱা নাছিল, ভৱিষ্যতেও বোধহয় কেতিয়াও নহ'ব।

এনে সময়তে এদিন চাৰ্চিলে কিবা জৰুৰী আলোচনাৰ কাৰণে তেওঁৰ প্ৰবীণ মন্ত্ৰী কেইজনমানক

ৰাতপুৱাতে মাতি পঠালে। মন্ত্ৰী কেইজনে বিছনাত শুই থকা অৱস্থাৰপৰাই চকু-মুখ মোহাৰি ঢপলিয়াই আহিল, যুদ্ধ-ক্ষেত্ৰত ক'ৰবাত নিশ্চয় কিবা অঘটন ঘটিছে। কিন্তু চাৰ্চিলে যিটো বিষয়ে আলোচনাৰ কাৰণে তেওঁলোকৰ আগত উত্থাপন কৰিলে, শুনিয়েই মন্ত্ৰী কেইজনৰ চকু গৈ কপালত উঠিল। যি সময়ত গ্ৰেট বৃটেইনৰ ভাগ্য এডাল সূতাত ওলমি আছে, যি সময়ত আজি বাদে কালিলৈ কি হ'ব তাৰ কোনো নিশ্চয়তা নাই, সেই সময়ত এনে এটা অসম্ভৱ বিষয়ৰ অৱতাৰণা? আৰু তাৰ কাৰণে মন্ত্ৰী কেইজনক শোৱা-পাটীৰপৰা প্ৰায় চোঁচোৰাই অনা হ'ল।

চাৰ্চিলে আলোচনা কৰিব খোজা বিষয়টো আছিল এই : যুদ্ধৰ শেষত ইংলেণ্ডত যিবোৰ সমস্যাৰ উদ্ভৱ হ'ব পাৰে সেইবোৰ বিষয়ে চিন্তা কৰি থাকোঁতে হঠাৎ চাৰ্চিলৰ মনত খেলালে যে যুদ্ধৰ কামতেই সকলো চিন্তা-ভাবনা আৰু সময় নিয়োজিত থকাৰ কাৰণে আলু খেতিৰ বিষয়ে কোনেও চিন্তা কৰা নাই, ফলত আলুৰ উৎপাদন অতিশয় হ্ৰাস পাই গৈছে। কিন্তু যুদ্ধ শেষ হোৱাৰ লগে লগে মানুহে অন্যান্য বস্তুৰ লগতে বেছিকৈ আলু খাবলৈকো বিচাৰিব, আৰু চাহিদা অনুসৰি ৰাইজক আলু যোগান ধৰিব নোৱাৰিলে তেওঁলোকে চৰকাৰৰ ওচৰত অসন্তুষ্ট হ'ব। সেই কাৰণে যুদ্ধ শেষ হোৱাৰ দিনাই যাতে পূৰ্ণোদ্যমেৰে আলু খেতিৰ কাম পুনৰ আৰম্ভ কৰিব পাৰে, সেই উদ্দেশ্যৰে এখন পূৰ্ণাংগ আঁচনি এতিয়াই সাজু কৰি ৰখা দৰকাৰ। সেইদিনা চাৰ্চিলে গোটেই ৰাতি টোপনি খটি কৰি যুদ্ধোত্তৰ ইংলেণ্ডত আলু খেতিৰ কাৰণে এখন আঁচনি তৈয়াৰ কৰিলে আৰু তাকে আলোচনাৰ কাৰণে ৰাতিপুৱাই মন্ত্ৰীসকলক মাতি পঠালে।

যুদ্ধ শেষ হ'বলৈ কিমান বছৰ লাগিব তাৰ কোনো ঠিক নাছিল। শেষ হ'লেও গ্ৰেট বৃটেইনে যে এখন স্বাধীন ৰাষ্ট্ৰ হৈ থাকিব তাৰ কোনো নিশ্চয়তা নাছিল। তেনে এটা মহা-সংকট মুহূৰ্ত ওপৰত লৈ চাৰ্চিলে ৰাতি উজাগৰে থাকি তৈয়াৰ কৰিছিল আলু খেতিৰ পৰিকল্পনা। আমাৰ শৰৎ চন্দ্ৰ সিংহক মহকুমা পৰিষদক ক্ষমতা দিয়াৰ নিচিনা এটা কামৰ কাৰণেও লাগে সকলো সংকটৰ অৱসান, পৰিপূৰ্ণ শান্তি আৰু নীৰৱতা। হায় আমাৰ কপাল!

সহাৱস্থান

শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ মুখ্যমন্ত্ৰীৰ কালছোৱা আন একো ধৰণে নহ'লেও এটা বিশেষ কাৰণত অসমৰ ইতিহাসত স্মৰণীয় হৈ থাকিব। সেইটো হ'ল শ্ৰীসিংহৰ চমক-প্ৰদ মৌলিক চিন্তা-শক্তি যাৰ একাধিক নিদৰ্শন ইতিমধ্যে অসমৰ ৰাইজে পাইছে। কাম কৰিব পাৰক নোৱাৰক, শ্ৰীসিংহৰ কল্প-দৃষ্টি আৰু মৌলিক চিন্তাৰ অভাব নাই। এই ক্ষেত্ৰত অসমৰ কোনো এজন জীৱিত বা মৃত নেতাই তেওঁৰ লগত ফেৰ মাৰিব নোৱাৰে।

কিছুদিনৰ আগতে শ্ৰীসিংহৰ অভিনৱ চিন্তা-শক্তিৰ আৰু এটা নিদৰ্শন পোৱা গৈছে। তেওঁ ঘোষণা কৰিলে যে যিহেতু অসমৰ বানপানীৰ সমস্যাটো সমাধান কৰা অসম্ভৱ বুলি এতিয়া নিশ্চিতভাৱে বুজিব পৰা গৈছে, গতিকে বানপানীৰ লগত সহাৱস্থান কৰিবলৈ শিকাৰ বাহিৰে আমাৰ আন একো পথ নাই।

এজন বয়োবৃদ্ধ, জ্ঞানবৃদ্ধ পাঠকে বাতৰি কাকতত শ্ৰীসিংহৰ এই বহুমূলীয়া উক্তি পঢ়ি মন্তব্য কৰিছে ঃ শ্ৰীসিংহৰ পৰৱৰ্তী মৌলিক আবিষ্কাৰ কি হ'ব, সেইটো এতিয়াই কৈ দিব পাৰি। ইয়াৰ পিচত তেওঁ নিশ্চয় ক'ব যে যিহেতু গৰিবী হতাও অৰ্থাৎ দাৰিদ্ৰ্য দূৰীকৰণ সম্পূৰ্ণ অসম্ভৱ বুলি এতিয়া নিশ্চিতভাৱে বুজিব পৰা গৈছে, সেই কাৰণে দাৰিদ্ৰ্যৰ লগত সহাৱস্থান কৰিবলৈ শিকাৰ বাহিৰে আমাৰ আন একো পথ নাই। তেওঁ যেনেকৈ বানপানীৰ দ্বাৰা আক্ৰান্ত অঞ্চলবোৰক তিনি ভাগত ভাগ কৰি প্ৰত্যেক ভাগৰ কাৰণে বেলেগ বেলেগ ধৰণৰ জীৱন-যাত্ৰাৰ প্ৰণালীৰ নিৰ্দেশ দিছে, ঠিক একে ভাৱেই তেওঁ নিশ্চয় দৰিদ্ৰ লোকসকলকো বেলেগ বেলেগ শ্ৰেণীত ভাগ কৰিব— (যথা ঃ ব্ৰাহ্মণ দৰিদ্ৰ, ৰাজবংশী দৰিদ্ৰ, আহোম দৰিদ্ৰ ইত্যাদি) আৰু প্ৰত্যেক শ্ৰেণীৰ কাৰণে সুকীয়া সুকীয়া জীৱন-ধাৰাৰ ব্যৱস্থা কৰিব।

জয় হওক শ্ৰীশৰৎ সিংহৰ!

এখন চিঠি

জনৈক পাঠকে আমালৈ এখন চিঠিত লেখিছে ঃ 'নীলাচলৰ সম্পাদক আহোম সম্প্ৰদায়ৰ লোক। সেই কাৰণে তেখেতকে এটা কথা ক'ব খোজো। আমি জনাত আহোমসকল অসমলৈ অহাৰ আগতে এই ভূ-খণ্ডত অসমীয়া জাতি নামৰ ইয়াত আছিল কেৱল চুতীয়া, বৰাহী, মৰাণ, ভূঞা, কছাৰী, কোঁচ আদি ভিন ভিন জাতিৰ ৰাজ্য। আহোমসকলেই এই বিভিন্ন জাতি-উপজাতিক একত্ৰিত কৰি অসমক ৰাজনৈতিক বান্ধোনেৰে বান্ধি অসমীয়া জাতি নামৰ এটা নতুন জাতিৰ জন্ম দিলে। সঁচা কথা অসমৰ ইতিহাসত এইটোৱেই আহোমসকলৰ আটাইতকৈ ডাঙৰ দান বুলি ক'ব পাৰি। তেন্তে অতীতৰ যি বিশাল-হৃদয় বীৰ আহোমসকলৰ হাতত অসমীয়া জাতিৰ জন্ম হৈছিল সেই আহোমৰেই কোনোবা ক্ষুদ্ৰ-হৃদয়ৰ এজনৰ হাততে অসমীয়া জাতি পুনৰ ছিন্ন-ভিন্ন হৈ পৰিব নেকি?

সাপ্তাহিক নীলাচল, ২৮৩ সংখ্যা : ১৯ জুন, ১৯৭৪ চন

পঞ্চায়ত আৰু ক্ষমতাৰ ৰাজনীতি

গ্ৰীক পুৰাণৰ মিডাচে যিহতে হাত দিছিল সিয়েই সোণত পৰিণত হৈছিল। অসম কংগ্ৰেছ চৰকাৰে যিহতেই হাত দিয়ে সিয়েই আবৰ্জনাত পৰিণত হোৱা দেখা গৈছে। তাৰে শেহতীয়া উদাহৰণ হ'ল পঞ্চায়তৰ যোগেদি ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ চেষ্টা।

অসমৰ বৰ্তমান চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতিবোৰৰ ভিতৰত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আছিল এটা প্ৰধান প্ৰতিশ্ৰুতি। বিশেষকৈ মুখ্যমন্ত্ৰী সিংহৰ কাৰণে ই আছিল এটা দীৰ্ঘদিন ধৰি লালিত ৰাজনৈতিক স্বপ্ন। এনে সময়তে তেওঁ যেতিয়া গোৱালপাৰা জিলাৰ স্বায়ত্ত শাসনৰ দাবীত এটা আন্দোলন আৰম্ভ কৰিছিল, সেই সময়ত তেওঁ সমালোচকৰ প্ৰশ্নৰ উত্তৰত কৈছিল যে তেওঁ কেৱল গোৱালপাৰা জিলাৰ কাৰণেই নহয়, অসমৰ প্ৰত্যেকখন জিলাৰ কাৰণেই স্বায়ত্ত শাসন বিচাৰে। সকলো মানুহেই নিজৰ স্বপ্নক বাস্তৱত ৰূপ দিয়াৰ সুযোগ নাপায়। কিন্তু সিংহই পালে। তাৰেই ফলশ্ৰুতি হ'ল অসমৰ নতুন পঞ্চায়ত ব্যৱস্থা।

সংশোধিত পঞ্চায়ত আইনত নতুন মহকুমা পৰিষদবোৰক ইমান বেছি ক্ষমতা দিবলৈ বিচৰা হৈছে যে এখন চৰকাৰী প্ৰচাৰ পত্ৰত ইয়াক এটা ক্ষুদ্ৰ চৰকাৰৰ লগত তুলনা কৰা হৈছে। প্ৰচাৰ পত্ৰখনত কোৱা হৈছে : "প্ৰস্তাৱিত মহকুমা পৰিষদক মহকুমা পৰ্য্যায়ৰ উন্নয়নমূলক কাৰ্য্য সম্পাদন কৰা ক্ষেত্ৰত ক্ষুদ্ৰ চৰকাৰৰ লগত কিছু পৰিমাণে তুলনা কৰিব পাৰি। মহকুমা পৰিষদক বিধান সভাৰ লগত, পৰিষদৰ কাৰ্য্যবাহী সমিতিক মন্ত্ৰীসভাৰ সদস্যৰ লগত, কাৰ্য্যবাহী সমিতিৰ সদস্যসকলক মন্ত্ৰীসকলৰ লগত আৰু ৰিষদৰ মুখ্য কাউন্সিলাৰসকলক মুখ্যমন্ত্ৰীৰ লগত তুলনা কৰিব পাৰি। স্থায়ী সমিতিৰ যোগে অনুশাসিত হোৱা বিভাগবোৰক ৰাজ্য পৰ্য্যায়ৰ উন্নয়নমূলক বিভাগৰ লগত ৰিজাব পাৰি। প্ৰকৃতপক্ষে মহকুমা পৰিষদৰ কাৰ্য্যবাহী সমিতি আৰু মুখ্য কাৰ্য্যবাহী কাউন্সিলাৰৰ ওপৰত গাঁও পঞ্চায়ত আৰু মহকুমাৰ বিভিন্ন উন্নয়নমূলক কাম সম্পাদন কৰাৰ সম্পূৰ্ণ দায়িত্ব থাকিব।

অতএব দেখা গ'ল যে অন্ততঃ এই এটা ক্ষেত্ৰত চৰকাৰে নিজৰ প্ৰতিশ্ৰুতি সম্পূৰ্ণৰূপে ৰক্ষা কৰিছে, অৰ্থাৎ পঞ্চায়তী অনুষ্ঠানসমূহলৈ প্ৰভূত পৰিমাণৰ ক্ষমতা হস্তান্তৰৰ ব্যৱস্থা কৰি প্ৰকৃতপক্ষেই ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ চেষ্টা কৰিছে। অসমৰ শতকৰা নবে ভাগ মানুহেই গাঁৱত বাস কৰে, আৰু এতিয়া সেই নবে ভাগ মানুহৰ ভাগ্য পঞ্চায়তৰ লগত জড়িত হৈ পৰিল। গতিকে পঞ্চায়তসমূহে এতিয়াৰপৰা অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত এখন অতি গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰি থাকিব।

কিন্তু এনেহেন এটা গুৰুত্বপূৰ্ণ ব্যৱস্থাৰ প্ৰতি শাসক দলে বা সমাজৰ নেতাসকলে কি ধৰণৰ প্ৰতিক্ৰিয়া দেখুৱালে? আমাৰ দৰে এখন আদৰ্শভ্ৰষ্ট আৰু দুৰ্নীতি-গ্ৰস্ত সমাজত এনে এটা ব্যৱস্থা কৃতকাৰ্য্য হ'বলৈ হ'লে চৰকাৰে আৰু ৰাইজৰ নেতাসকলে যি ধৰণৰ নৈতিক দায়িত্ববোধ আৰু দূৰদৰ্শিতা দেখুওৱা উচিত, সেইখিনি আমি দেখিবলৈ পালোনে? দুৰ্ভাগ্যৰ কথা যে আমি এতিয়ালৈকে কাৰো পৰাই এনে কোনো সজ আচৰণ দেখিবলৈ পোৱা নাই—যাৰ ফলত নব-গঠিত পঞ্চায়তৰ ভৱিষ্যত সম্পৰ্কে আশান্বিত হ'ব পাৰো। প্ৰথমতে

শাসক দলৰ কথাই ধৰা যাওক। যি কোনো কাৰণতেই নহওক কিয়, প্ৰথমতে তেওঁলোকে পঞ্চায়ত নিৰ্বাচনত দলীয় ভিত্তিত প্ৰতিদ্বন্দ্বিতা নকৰিবলৈ ঠিক কৰিলে। কিন্তু প্ৰাথমিক নিৰ্বাচন-পৰ্ব শেষ হৈ যেতিয়া সভাপতি আৰু মুখ্য কাৰ্য্যবাহী কাউঞ্চিলাৰৰ নিৰ্বাচনৰ সময় আহিল, তেতিয়া বেছিভাগ বে-নামী নিৰ্দলীয় সদস্যই হঠাৎ হৈ পৰিল কংগ্ৰেছী সদস্য, অৰ্থাৎ কংগ্ৰেছ এইবাৰ দলীয় ভিত্তিত নিৰ্বাচন-যুদ্ধত অবতীৰ্ণ হ'ল। ৰাজনৈতিক অনৈতিকতাৰ ই এটা চূড়ান্ত নিদৰ্শন, কাৰণ নিৰ্দলীয় প্ৰাৰ্থীৰ ৰূপত ভোট-দাতাৰ সমৰ্থন আদায় কৰি নিৰ্বাচিত হৈ পিচত কংগ্ৰেছী সদস্যৰ ৰূপত তেওঁলোকৰ আত্ম-প্ৰকাশ ৰাজহুৱা প্ৰতাৰণাৰ নামান্তৰ মাত্ৰ। শাসক দলে ক্ষমতাৰ লোভত এনে নগ্ন প্ৰতাৰণাৰ আশ্ৰয় লৈ আৰম্ভণিতেই পঞ্চায়তৰ নৈতিক আবেদন নষ্ট কৰিছে। দ্বিতীয়তে, মহকুমা পৰিষদবোৰ নিজৰ হাতত ৰাখিবৰ কাৰণে দলীয় সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিবলৈ শাসক দলে যিবোৰ কৌশল অবলম্বন কৰিছে আৰু যিবোৰ অশুভ শক্তিৰ লগত আপোচ কৰিছে, সিও কেৱল এই কথাই প্ৰমাণ কৰে যে কেন্দ্ৰী-ভূত বা বিকেন্দ্ৰীভূত যি ৰূপতেই নহওক — ক্ষমতাৰ বাহিৰে এই দলৰ আন একো লক্ষ্য নাই। ক্ষমতাৰ কাৰণে তেওঁলোকে সকলো নৈতিক বিবেচনা আৰু মূল্য-বোধ বিসৰ্জন দিব পাৰে।

এতিয়া প্ৰায় সকলো লোকেই স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে আমাৰ দেশত প্ৰচলিত নিৰ্বাচনী ব্যৱস্থাৰ মাজতেই বেছিভাগ ৰাজনৈতিক আৰু প্ৰশাসনিক দুৰ্নীতিৰ বীজ নিহিত হৈ আছে। যি সময়ত নিৰ্বাচনী-ব্যৱস্থাৰ এই ক্ষতি-কাৰক দোষবোৰ দূৰ কৰাৰ উপায় চিন্তা কৰি থকা হৈছে, ঠিক সেই সময়তে অসমৰ পঞ্চায়ত নিৰ্বাচনে তাৰ মাৰাত্মক বিষ-ক্ৰিয়া ৰাজ্যখনৰ এটাও চুক-কোণ বাদ নিদিয়াকৈ সকলো ঠাইলৈকে বিয়পাই দিয়াৰ ব্যৱস্থা কৰিলে। অসমৰ সকলো ঠাইৰ পৰাই বাতৰি আহিছে যে এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত যি বিপুল পৰিমাণৰ টকা খৰচ কৰা হৈছে বা যিমান তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে, বিধান সভা বা পাৰ্লিয়ামেণ্টৰ নিৰ্বাচনতো সাধাৰণতে সিমানখিনি নহয়। ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণ এয়েই নে কি যে সংশোধিত পঞ্চায়ত-ব্যৱস্থাই আমাৰ সমাজ-কৰ্মীসকলৰ মনত এক নতুন নৈতিক স্পন্দনৰ সৃষ্টি কৰিছে আৰু এই নতুন ব্যৱস্থাৰ যোগেদি ৰাইজক সেৱা কৰিবলৈ তেওঁলোক ব্যাকুল হৈ উঠিছে? কোৱা বাহুল্য মাথোন যে এনে আশা বাতুলতাৰ বাহিৰে আন একো নহয়। প্ৰাৰ্থীসকলৰ প্ৰচণ্ড উৎসাহ আৰু অপৰিমেয় অৰ্থ-ব্যয়ে কেৱল এটা কথাই প্ৰমাণ কৰে; সেইটো হৈছে এই যে অভূতপূৰ্ব ক্ষমতাৰ অধিকাৰী হোৱা নতুন পঞ্চায়ত-ব্যৱস্থাৰ মাজত এইসকল লোকে নিজৰ বিবিধ স্বাৰ্থ-পূৰণৰ অফুৰন্ত সম্ভাৱনা দেখা পাইছে। এইবোৰৰ ভিতৰত ধন ঘটাৰ সুবিধা আৰু ক্ষমতা প্ৰয়োগৰ আনন্দই প্ৰধান। পঞ্চায়ত সম্পৰ্কে এই সংখ্যা নীলাচলত প্ৰকাশিত এটা প্ৰবন্ধত কবৰ দৰে বহুতো প্ৰাৰ্থীয়ে পঞ্চায়ত নিৰ্বাচনত খৰচ কৰা হাজাৰ হাজাৰ টকা প্ৰকৃত পক্ষে ভৱিষ্যতৰ লাভৰ আশাত বিনিয়োগ কৰা মূলধন বুলিহে গণ্য কৰিছে। কিছুদিন আগতে অসম প্ৰদেশ কংগ্ৰেছৰ এখন বৈঠকত ৰাজহ-মন্ত্ৰী শ্ৰীপৰমানন্দ গগৈয়ে প্ৰকাশ কৰিছিল যে নগাঁৱৰ কোনোবা এজন লোকে পঞ্চায়ত নিৰ্বাচনৰ কাৰণে দুই লাখ টকা খৰচ কৰা বুলি তেওঁ খবৰ পাইছে। উক্ত প্ৰাৰ্থীজনে এই দুই লাখ টকা ভৱিষ্যতৰ লাভৰ আশাত মূলধন হিচাবে বিনিয়োগ কৰিছে বুলি যদি ধৰি লোৱা নহয়, তেন্তে আন কি প্ৰকাৰে এই অভাৱনীয় অৰ্থ-ব্যয়ৰ ব্যাখ্যা কৰিব পাৰি? সঁচা কথা ক'বলৈ গ'লে পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থীসকলে যি পৰিমাণৰ আগ্ৰহাতিশয্য দেখুৱাইছে, সি পঞ্চায়তৰ ভৱিষ্যত সম্পৰ্কে আমাক আশান্বিত কৰাৰ পৰিবৰ্তে শংকিত কৰিহে তুলিছে।

কিন্তু আটাইতকৈ দুৰ্ভাৱনাৰ সৃষ্টি কৰিছে চৰকাৰৰ আৰু শাসক দলৰ এম-এল-এ সকলৰ মতি-গতিয়ে। এইবাৰৰ পঞ্চায়ত ব্যৱস্থাৰ এটা প্ৰধান বিশেষত্ব আছিল এয়েই যে বিধান সভা আৰু পাৰ্লিয়ামেণ্টৰ সদস্যসকলক নতুন পঞ্চায়ত-ব্যৱস্থাৰ লগত জড়িত নাৰাখিবলৈ প্ৰস্তাৱ কৰা হৈছিল। উদ্দেশ্য আছিল — ৰাজ্যিক আৰু স্থানীয় পৰ্য্যায়ত দুটা ভিন ভিন আৰু স্বতন্ত্ৰ নেতৃত্বৰ সৃষ্টি কৰা, আৰু স্বায়ত্ত-শাসিত স্থানীয় পঞ্চায়তবোৰক এম-এল-এ আৰু এম-পি সকলৰ হস্তক্ষেপৰ পৰা মুক্ত ৰখা। কিন্তু বিপুল পৰিমাণৰ স্বায়ত্ত-শাসনৰ অধিকাৰ পোৱা মহকুমা পৰিষদবোৰত নিজৰ এষাৰো মাত নাথাকিব—এনে এটা ব্যৱস্থা এম-এল-এ সকলে সহ্য কৰিব নোৱাৰিলে। হাজাৰ হওক, ক্ষমতাৰ ভোগ আৰু প্ৰয়োগেই তেওঁলোকৰ উশাহ-নিশাহ। পৰোক্ষভাৱে এম-এল-এ সকলৰ ক্ষমতা-লিপ্সা চৰিতাৰ্থ কৰিবৰ কাৰণেই মহকুমা পৰিষদবোৰত একোটা প্লেনিং চেলৰ ব্যৱস্থা কৰা হ'ল — যাৰ সদস্য হ'ব স্থানীয় এম-এল-এ আৰু এম-পি সকল। কিন্তু সিমানখিনি কৰিও এম-এল-এ সকলক সন্তুষ্ট কৰিব পৰা নগ'ল। এতিয়া যি সময়ত পঞ্চায়ত নিৰ্বাচনৰ সকলো পৰ্য্যায় সমাপ্ত হ'ল, মহকুমা পৰিষদবোৰ সম্পূৰ্ণভাৱে গঠিত হ'ল, আইনৰ ব্যৱস্থা মতে গাঁওসভা আৰু মহকুমা পৰিষদবোৰক বিভিন্ন কাম-কাজৰ দায়িত্ব আৰু ক্ষমতা হস্তান্তৰ কৰাৰ সময় উপস্থিত হৈছে, ঠিক সেই সময়ত শাসক দলৰ এম-এল-এ সকলে নতুনকৈ আপত্তি তুলিছে যে যি মহকুমা পৰিষদত তেওঁলোকৰ কোনো মাত নাই, সেই মহকুমা পৰিষদৰ হাতত স্থানীয় শাসনৰ সকলো দায়িত্ব তুলি দিয়াৰ প্ৰস্তাৱত তেওঁলোকে সন্মতি দিব নোৱাৰে। তাতোকৈ দুৰ্ভাগ্যজনক কথা এয়েহে যে চৰকাৰেও এম-এল-এ সকলৰ এই অন্যায় আবদাৰ মানি লৈ ক্ষমতা হস্তান্তৰৰ প্ৰক্ৰিয়া বিলম্বিত কৰিবলৈ নানা প্ৰকাৰৰ অজুহাতৰ অন্বেষণ কৰিছে।

এম-এল-এ সকলৰ এই মনোভাব ঘাইকৈ দুটা কাৰণত আপত্তিজনক। প্ৰথমতঃ পঞ্চায়ত আইনৰ সংশোধনী বিলখন বিধান সভাত দীৰ্ঘদিন ধৰি আলোচনা কৰা হৈছিল আৰু এম-এল-এ সকলে তেওঁলোকৰ সকলো মতামত ব্যক্ত কৰিবলৈ তেতিয়াই যথেষ্ট সুযোগ পাইছিল। এতিয়া যিখন সংশোধিত আইনৰ ভিত্তিত পঞ্চায়ত নিৰ্বাচন পতা হ'ল আৰু ৰাইজৰ ৰায় আদায় কৰা হ'ল, তাক কাৰ্য্যকৰী নকৰি অৰ্থাৎ আইনসংগতভাৱে নিৰ্বাচিত মহকুমা পৰিষদবোৰক কাম কৰিবলৈ নিদি নিষ্ক্ৰিয়ভাৱে থবলৈ চৰকাৰৰ বা শাসক দলৰ বিধায়িনী শাখাৰ কোনো অধিকাৰ নাই। মহকুমা পৰিষদৰ পৰিচালনাত এম-এল-এ সকলৰো হাত থকাটো ইমানেই অপৰিহাৰ্য্য বুলি যদি তেওঁলোকে ভাবিছিল, তেন্তে সময় থাকোতে তেওঁলোকে সেই দাবী তুলিব লাগিছিল। তাকে নকৰি এতিয়া সেই দাবী তোলাটো কংগ্ৰেছে পঞ্চায়ত নিৰ্বাচনত নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰি দলৰ নামত নানা কৌশলেৰে মহকুমা পৰিষদবোৰ দখল কৰাৰ নিচিনাই আন এটা ৰাজহুৱা প্ৰতাৰণাৰ কাৰ্য্য বুলি নিৰ্বাচিত হ'ব।

দ্বিতীয়তে, এম-এল-এ সকল পঞ্চায়তৰ শাসন ক্ষমতাত অংশ বিচাৰি জন-সেৱাৰ প্ৰতি আগ্ৰহৰ পৰিচয় দিয়াতকৈ ৰাজনৈতিক স্বাৰ্থ-বুদ্ধি আৰু ক্ষমতা-লিপ্সাৰ পৰিচয়হে বেছিকৈ দিছে। এটা কথা মনত ৰখা উচিত যে এম-এল-এসকল বিদৰে আইনসম্মতভাৱে নিৰ্বাচিত জন-প্ৰতিনিধি, নতুন মহকুমা পৰিষদৰ সদস্যসকলো ঠিক তেনেকৈয়ে ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধি। দুই শ্ৰেণীৰ প্ৰতিনিধিৰ কাৰ্য্যক্ষেত্ৰ কেৱল বেলেগ বেলেগ। তেনেস্থলত এম-এল-এ সকলৰ তদাৰকী বা উপস্থিতিৰ ব্যতিৰেকে মহকুমাৰ পৰিষদবোৰ চলিব নোৱাৰিব বা চলিবলৈ দিয়াটো উচিত নহব — এনে এটা মত কোনো বিবেচনাতেই গ্ৰহণ-যোগ্য নহয়।

এম-এল-এ সকলে অখণ্ডনীয় যুক্তি সহকাৰে এই কথা প্ৰমাণ কৰিব লাগিব যে ৰাইজৰ স্বাৰ্থতে মহকুমা পৰিষদবোৰৰ পৰিচালনাত তেওঁলোকৰ অংশ গ্ৰহণ অপৰিহাৰ্য্য। তৃতীয়তে, বিধান সভাত পঞ্চায়ত আইনৰ সংশোধনী বিলৰ আলোচনা চলি থাকোতে এই কথা তেওঁলোকে কিয় চিন্তা নকৰিলে তাৰো এটা সন্তোষজনক ব্যাখ্যা তেওঁলোকে দিব লাগিব। ইতিমধ্যে ৰাইজৰ মনত ধাৰণা হৈছে স্বায়ত্ত-শাসিত মহকুমা পৰিষদৰ পৰিচালনাত অংশ লবলৈ আগ্ৰহাতিশয্য দেখুৱাই এম-এল-এ সকলে জনসেৱাৰ প্ৰতি ধাউতি দেখুওৱাতকৈ ঠিক এই বস্তুটোৰ প্ৰতিহে লোভৰ পৰিচয় দিছে—যাক এজন বিদেশী সাংবাদিকৰ ভাষাত কব পাৰি Technical exercise of sheer power.

আদৰ্শ হিচাপে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ খুব ভাল কথা। কিন্তু এই বিকেন্দ্ৰীকৰণৰ অৰ্থ এই হয় যে নামত অনুষ্ঠানবোৰ বেলেগ বেলেগ হ'লেও কামত একেখিনি মানুহৰ হাততে সকলো ক্ষমতা কেন্দ্ৰীভূত হৈ থাকিব, একেখিনি মানুহেই দিশপুৰৰ পৰা আৰম্ভ কৰি অসমৰ বিভিন্ন মহকুমাৰ পৰিষদলৈকে সকলোতে ক্ষমতাৰ বাঘ-জৰী নিজৰ হাতত ৰাখিব, তেন্তে অতি সোনকালেই এই বিকেন্দ্ৰীকৰণ নকল আৰু অন্তঃসাৰশূন্য বুলি প্ৰমাণিত হ'ব।

নৈতিক কাপুৰুষতা

১৯৪৭ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষই যেতিয়া দিল্লী মহানগৰীক এক ভয়াবহ যুদ্ধ-ক্ষেত্ৰত পৰিণত কৰিছিল, সেই সময়ত এদিন প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে ৰাজধানীৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি ঘূৰি ফুৰিছিল। গাড়ীত গৈ থাকোতে হঠাতে এবাৰ তেওঁ দেখিলে যে কিছুমান গুণ্ডাই এজন মানুহক বেঢ়ি ধৰি নিৰ্মমভাৱে প্ৰহাৰ কৰিছে আৰু আন কিছুমান মানুহে অদূৰৰপৰা অসহায়ভাৱে সেই দৃশ্য চাই আছে। জৱাহৰলাল নেহৰুৱে ড্ৰাইভাৰক গাড়ী ৰখাবলৈ কৈ দেহ-ৰক্ষীৰ হাক-বচন আৰু টনা-আঁজোৰা একোকে নামানি গাড়ীখনৰপৰা জাঁপ মাৰি ওলাই পৰিল, আৰু সম্পূৰ্ণ শুদা হাতেৰেই গুণ্ডাবোৰৰ ফালে চোচা মাৰি খেদি গ'ল। এজন অকলশৰীয়া নিৰস্ত্ৰ মানুহৰ খেদা খায়েই সশস্ত্ৰ গুণ্ডাকেইটা মুহূৰ্ততে পলাই ফাট্ মাৰিলে।

জৱাহৰলালৰ মাজত কি দেখি গুণ্ডাকেইটাই ইমান ভয় খালে?

মানুহৰ নৈতিক শক্তি আৰু সাহসৰ সেই মহিমাময় প্ৰকাশ — যাৰ তুলনাত আন সকলো শক্তিয়েই নিতান্ত তুচ্ছ আৰু নগণ্য। কলোনাৰ ষ্টিফেনৰ দুৰ্ভেদ্য দুৰ্গৰ যেতিয়া পতন ঘটিল আৰু তেওঁ শত্ৰু-সৈন্যৰ হাতত বন্দী হ'ল, তেতিয়া শত্ৰুৱে তেওঁক উপহাস কৰি সুধিলে : "তোমাৰ দুৰ্গ এতিয়া ক'লৈ গ'ল?" ষ্টিফেনে নিজৰ বুকুত হাত ৰাখি সাহসেৰে উত্তৰ দিলে : "মোৰ দুৰ্গ ইয়াতেই আছে।" নৈতিক শক্তিৰে বলীয়ান পৃথিবীৰ প্ৰত্যেকজন মানুহেই ষ্টিফেনৰ নিচিনাকৈ একেটা উত্তৰকে দিব পাৰে। তেওঁলোকৰ সকলো শক্তিৰ উৎস হ'ল নিজৰ আত্মা—য'ত তেওঁলোকে একোটা দুৰ্ভেদ্য আৰু অপৰাজেয় দুৰ্গ বহন কৰি লৈ ফুৰে।

০ ০ ০ ০ ০

কবি দেবকান্ত বৰুৱাই বহুত দিনৰ আগতে লেখিছিল : "অসমৰ এই কাম্য-ভূমিত চৰিছে গাধৰ পাল।"

যিসময়ত তেওঁ এই কথা লেখিছিল, সেই সময়ত গাধৰ সংখ্যা বাঢ়ি আহিছিল যদিও অ'ত ত'ত দুই এজন মানুহো দেখা গৈছিল। অন্ততঃ সময়খিনিয়েই আছিল এনেকুৱা যে অতি ক্ষুদ্ৰ অকিঞ্চিৎকৰ মানুহেও কিবা এক মহৎ আবেগৰ স্পৰ্শ অনুভৱ কৰি ৰোমাঞ্চিত হৈ উঠিছিল, আৰু ধুমুহাই আকাশলৈ গছ-পাত উৰাই নিয়াৰ দৰে সেই মহৎ আবেগেই ক্ষুদ্ৰ মানুহবোৰকে খন্তেকৰ কাৰণে হ'লেও এক উৰ্দ্ধ-লোকলৈ উন্নীত কৰিছিল। কিন্তু অপ্ৰিয় হ'লেও এই কথা সঁচা যে আজি আৰু অসমত মানুহ প্ৰায় দেখিবলৈ নোপোৱাৰ নিচিনাই হৈ আহিছে। অন্ততঃ যিবোৰ মানুহক আমি সদায় চকুৰ আগতে দেখি থাকো, যিবোৰ মানুহে ৰাজনীতি-শিক্ষা-সংস্কৃতি আদি বিভিন্ন ক্ষেত্ৰত আমাক নেতৃত্ব দিয়ে, সেইসকল লোকক আকৃতিত মানুহ যেন লাগিলেও প্ৰকৃতিত মানুহ বুলি কোৱা টানেই হৈ পৰিছে। নৈতিক মেৰুদণ্ড-হীন মানুহ-ৰূপী এই জীৱবোৰৰ কাৰণে অতি সোনকালেই কিবা এটা বেলেগ নাম উদ্ভাৱন কৰাৰ প্ৰয়োজন হ'ব।

সৌ সিদিনা ২৫ জুন তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসত পুলিচে এক লোম-হৰ্ষক ধ্বংস-লীলা অনুষ্ঠিত কৰিলে। দোষ কাৰ আছিল—সেই বিচাৰ পাছত হ'ব। কিন্তু অসমৰ মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, গৃহমন্ত্ৰী—এইসকল লোকৰ কোনোবা এজনে ইমান দিনে সেই ঘটনাস্থলী পৰিদৰ্শন কৰা উচিত নাছিলনে?

বিশ্ববিদ্যালয়ৰ সকলো শিক্ষক আৰু ছাত্ৰই সহস্ৰ মুখেৰে কোৱা সকলো কথাকে মিছা আৰু অতিশয়োক্তি বুলি ধৰি লৈ দুজনমান বিষয়াৰ কথাকে একমাত্ৰ সত্য-ভাষণ বুলি সন্তুষ্ট হৈ তেওঁলোকে বহি আছে, সত্যৰ প্ৰতি সামান্য শ্ৰদ্ধা বা কৌতূহল থকা হ'লেও তেওঁলোকে ইমান দিনে বিশ্ববিদ্যালয় প্ৰাংগণত এটা ভুমুকি নামাৰিলেহেঁতেননে? তৰ্কৰ খাতিৰত যদি ধৰিও লোৱা হয় যে ছাত্ৰসকলেই সমস্ত দোষৰ ভাগী, তথাপি জননায়ক বুলি নিজকে পৰিচয় দিব খোজা এই লোকসকলে ছাত্ৰসকলৰ হৃদয় পৰিবৰ্তনৰ কাৰণেও এবাৰ নিজৰ নৈতিক প্ৰভাব প্ৰয়োগ কৰিবলৈ আগবাঢ়ি অহাটো উচিত নাছিলনে?

অসমৰ কোনো এজন মন্ত্ৰী বা তথাকথিত নেতাই আজিলৈকে অশান্ত গুৱাহাটী বিশ্ববিদ্যালয়ত ভৰি দিয়াগৈ নাই,—তাৰ একমাত্ৰ কাৰণ এয়েই যে ক্ৰোধোন্মত্ত ছাত্ৰসকলৰ মুখামুখি হ'বলৈ তেওঁলোকৰ কাৰো নৈতিক সাহস নাই। আজি অসমৰ ৰাজহুৱা জীৱনৰ আটাইতকৈ ডাঙৰ ট্ৰেজেডী বা দুৰ্ভাগ্য হৈছে এইটোৱেই : নৈতিক সাহস আৰু প্ৰভাৱ থকা মানুহৰ অভাৱ। প্ৰতিটো সংকটৰ সময়ত বাৰম্বাৰ এই কথা প্ৰমাণিত হৈছে। গধূলিৰ লগে লগে জাকে জাকে গাঁতৰ পৰা ওলাই অহা শিয়ালে সূৰ্য্যোদয়ৰ লগে লগে পুনৰ নিজৰ গাঁতত সোমোৱাৰ দৰে আমাৰ নেতাসকলেও নিৰাপদ সময়ত নিজৰ ক্ষমতা জাহিৰ কৰি চাৰিওফালে ঘূৰি ফুৰিলে আৰু নামমাত্ৰ বিপদৰ গোন্ধ পোৱাৰ লগে লগে পুনৰ নিজৰ গাঁতত সোমাই টলকা মাৰি শুই থাকে। সমাজত যেতিয়া শ্ৰদ্ধা আৰু সন্মানৰ পাত্ৰ কোনো নোহোৱা হয়, তেতিয়া চাৰিওফালে নৈতিক শূন্যতা বিৰাজ কৰে তেতিয়াই সকলো মূল্যবোধৰ বিনষ্ট ঘটি জীৱন হৈ পৰে ৰুক্ষ, কুৎসিত আৰু অমাৰ্জিত।

অৱশ্যে এই কথা ক'লে অতি ডাঙৰ ভুল কথা কোৱা হ'ব যে কেৱল ৰাজনীতি কৰা মানুহখিনিৰ মাজতহে নৈতিক সাহসৰ অভাৱ ঘটিছে, বাকী আন সকলোৱেই নৈতিক সাহসৰ চৰম পৰাকাষ্ঠা দেখুৱাইছে। সঁচা কথা ক'বলৈ গ'লে আমাৰ সামাজিক জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে নৈতিক আদৰ্শ আৰু সাহসৰ অভাৱ ঘটিছে। আমাৰ উচ্চপদস্থ চৰকাৰী বিষয়াসকলক সাধাৰণতে সমাজৰ আটাইতকৈ বুদ্ধিমান আৰু প্ৰতিভাশালী শ্ৰেণী বুলি ধৰা হয়, কাৰণ কঠিন প্ৰতিযোগিতাত উত্তীৰ্ণ হৈহে তেওঁলোকে এইবোৰ পদ লাভ কৰে। কিন্তু এইসকল লোকৰো নৈতিক মেৰুদণ্ড আজি এনেভাৱে ভাগি গৈছে যে মন্ত্ৰীৰ কোনো এটা অন্যায় আদেশৰ প্ৰতিবাদ কৰিবলৈ তেওঁলোকৰ সাহস নাই। যোৱা তিনি জুলাইৰ সাপ্তাহিক নীলাচলত প্ৰকাশিত 'শিক্ষাৰ মৌলিক স্বাৰ্থৰ বিৰুদ্ধে চৰকাৰী ষড়যন্ত্ৰ' শীৰ্ষক বাতৰিটো বিশ্লেষণ কৰি চালে দেখা যাব যে সংশ্লিষ্ট চৰকাৰী বিষয়া কেইজনৰ অন্যায়ৰ প্ৰতিবাদ কৰিবৰ জোখাৰে নৈতিক সাহস থকা হ'লে এনে এটা ঘটনা নিশ্চয় কেতিয়াও ঘটিব নোৱাৰিলেহেঁতেন। আজি ৰাজ্যখনত যিমান ৰাজনৈতিক দুৰ্নীতি ঘটিছে তাৰ অন্ততঃ আধা দায়িত্ব লব লাগিব নৈতিক মেৰুদণ্ড নোহোৱা চৰকাৰী বিষয়াসকলে।

সাপ্তাহিক নীলাচল, ২৮৭ সংখ্যা ঃ ১৭ জুলাই, ১৯৭৪ চন

অসম প্ৰদেশ কংগ্ৰেছৰ অধিৱেশন ঃ বহ্বাৰম্ভে লঘু-ক্ৰিয়া

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ অধিৱেশন ১৪ আৰু ১৫ জুলাইত দুই দিন ধৰি হোৱাৰ কথা আছিল। কিন্তু এদিনতেই আলোচনা শেষ হৈ যায়। আলোচনা আছিল অতি প্ৰাণহীন আৰু গতানুগতিক। এ-পি-চি-চিৰ সদস্যসকলে কোনো বিষয়তে যথাৰ্থ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লব পৰা নাই; ক্ষমতা বিকেন্দ্ৰীকৰণ আৰু খাদ্য পৰিস্থিতিৰ নামত যি দুটা অৰ্থহীন প্ৰস্তাৱ লোৱা হৈছে, তাত কোনো নতুন কথা নাই। পুৰণি কথাৰেই চৰ্বিত-চৰ্বণ মাথোন। ৰাজনৈতিক পৰিস্থিতি আৰু ছাত্ৰ আন্দোলন বিষয়সূচীৰ অন্তৰ্ভুক্ত আছিল; কিন্তু এই দুটা বিষয়ে এ-পি-চি-চিয়ে কোনো বক্তব্য দাঙি ধৰা নাই। এটা ৰাজনৈতিক দলৰ গুৰুত্বপূৰ্ণ অধিৱেশনত ৰাজনৈতিক পৰিস্থিতিৰ মূল্যায়ন নোহোৱাটো এটা অভাৱনীয় কথা। সাধাৰণ কংগ্ৰেছ কৰ্মীসকলে ৰাজ্যখনৰ বৰ্তমান উত্তেজনাপূৰ্ণ পৰিস্থিতি সম্পৰ্কে এ-পি-চি-চিয়ে বিশদভাৱে আলোচনা কৰিব বুলি আশা কৰি আছিল।

চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ

এ-পি-চি-চিৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাত প্ৰদেশ কংগ্ৰেছৰ সহ-সভাপতি শ্ৰীতিলক গগৈয়ে চৰকাৰ আৰু সংগঠনৰ বিৰুদ্ধে নেতৃত্ব-দানত ব্যৰ্থতাৰ অভিযোগ আনি প্ৰকাৰান্তৰে অনাস্থা প্ৰকাশ কৰি এটা প্ৰস্তাৱ উত্থাপন কৰে। কিন্তু এই প্ৰস্তাৱটো আলোচনাৰ বাবে গৃহিত হোৱাৰ আগতে এটা 'পইণ্ট অব অৰ্ডাৰ' উঠে যে প্ৰস্তাৱকে আগতে এই প্ৰস্তাৱ সম্বন্ধে কোনো নোটিচ দিয়া নাই। অতএব এতিয়া প্ৰস্তাৱটো নিয়মানুযায়ী আলোচনাৰ বাবে গৃহিত হ'ব নোৱাৰে। সভাপতি ললিত দলেই 'পইণ্ট অব অৰ্ডাৰ' মানি লয়; ফলত শ্ৰীগগৈৰ প্ৰস্তাৱ আলোচিত নহ'ল।

কংগ্ৰেছৰ পুনৰুজ্জীৱনৰ কাৰণে কমিটি গঠন

এ-পি-চি-চিয়ে কংগ্ৰেছ সংগঠনৰ বিভিন্ন শাখা পুনৰুজ্জীৱনৰ বাবে এখন পাঁচজনীয়া কমিটি গঠন কৰিছে। প্ৰদেশ কংগ্ৰেছে নিজে এই কমিটি গঠনৰ উদ্যোগ লয়। এই কমিটিত সৰ্বশ্ৰী ললিত কুমাৰ দলে, শৰৎ চন্দ্ৰ সিংহ, শ্ৰীমান প্ৰফুল্ল গোস্বামী, মইনুল হক চৌধুৰী আৰু তিলক গগৈক লোৱা হৈছে। উল্লেখযোগ্য যে অলপতে বিক্ষুব্ধ কংগ্ৰেছ-কৰ্মী সম্মিলনৰ সংজাতি দল এটাই দিল্লীৰ হাই-কমাণ্ডক লগ ধৰি প্ৰদেশ কংগ্ৰেছৰ পুনৰুজ্জীৱনৰ দাবী জনাইছিল।

বিক্ষুব্ধ কংগ্ৰেছী সম্বন্ধে আলোচনা নহ'ল

'বিক্ষুব্ধ' কংগ্ৰেছ-কৰ্মীসকলৰ কাৰ্য্যকলাপ সম্বন্ধে এ-পি-চি-চিৰ অধিবেশনত কোনো আলোচনা হোৱা নাই, নগাঁৱত এখন কৰ্মী সন্মিলনত গোট খোৱাৰ পিছত এ-পি-চি-চিয়ে তেওঁলোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ হুমকি দিছিল; আহ্বায়কসকলৰ পৰা তেতিয়া কৈফিয়তো তলব কৰা হৈছিল, কিন্তু প্ৰদেশ কংগ্ৰেছ নেতৃত্বই এই সকল বিক্ষুব্ধ লোকৰ সম্বন্ধে কি দৃষ্টিভংগী লব খোজে, এ-পি-চি-চিৰ জৰিয়তে সাধাৰণ কৰ্মীসকলক সেই বিষয়ে কোনো স্পষ্ট আভাস দিয়া নহ'ল। বৰপেটাৰ এজন সদস্যই এ-পি-চি-চিৰ সভাত এই প্ৰসংগ উত্থাপন কৰাৰ চেষ্টা কৰিছিল। কিন্তু সভাপতি ললিত দলেই নিৰ্দিষ্ট বিষয়-সূচীৰ বাহিৰে আন কোনো প্ৰসংগৰ আলোচনা হ'ব নোৱাৰে বুলি ৰুলিং দিলে।

আলোচনাৰ কাৰণে মুখ্যমন্ত্ৰীৰ দ্বাৰা বিশ্বদেৱ শৰ্মা আমন্ত্ৰিত

'বিক্ষুব্ধ' কংগ্ৰেছকৰ্মীসকলৰ সঁজাতি দলৰ নেতা বিশ্বদেৱ শৰ্মাই এ-পি-চি-চিৰ সভাত যোগ দিছিল। প্ৰবীণ নেতাসকলৰ লগত তেওঁক একে শাৰীতে দেখা গৈছিল। প্ৰকাশ, শ্ৰীশৰ্মা এ-পি-চি-চিৰ নিৰ্বাচিত সদস্য হোৱা সত্ত্বেও তেওঁক এই সভালৈ মতা হোৱা নাছিল। এই বিষয়ে সভাৰ দুদিন আগতে প্ৰদেশ কংগ্ৰেছৰ দৃষ্টি আকৰ্ষণ কৰা হয়, তথাপি ত্ৰুটি সংশোধনৰ কোনো চেষ্টা হোৱা নাছিল। মুখ্যমন্ত্ৰী দিল্লীৰ পৰা উভতি অহাৰ পিছদিনা ১৪ জুলাইৰ (সভা সিদিনাই) ৰাতিপুৱা এ-পি-চি-চিৰ জেনেৰেল চেক্ৰেটাৰী শ্ৰীধ্ৰুবনাৰায়ণ বৰুৱাই শ্ৰীশৰ্মাক টেলিফোন কৰি অনিচ্ছাকৃত ত্ৰুটিৰ বাবে দুখ প্ৰকাশ কৰি সভাত যাবলৈ বিশেষ অনুৰোধ কৰে।

জানিব পৰা গৈছে যে মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই শ্ৰীশৰ্মাক নিজে লগ ধৰি তেওঁৰ সৈতে আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ অনুৰোধত এই আলোচনা যোৱা ১৫ জুলাই তাৰিখে ৰাতিপুৱা মুখ্যমন্ত্ৰীৰ বাসভৱনত অনুষ্ঠিত হয়। ই তাৎপৰ্য্যপূৰ্ণ ঘটনা।

সাপ্তাহিক নীলাচল, ২৮৮ সংখ্যা ঃ ২৪ জুলাই, ১৯৭৪ চন

চৰকাৰ আৰু বিশ্ব-বিদ্যালয়

Conduct is three-fourth of our life and its largest Concern.

– Mathew Arnold.

মাছ বোলে মূৰৰ ফালৰ পৰা পচিবলৈ আৰম্ভ কৰে; সেই কথা স্মৰণ কৰি লেনিনে কৈছিল যে চৰম বিনাশৰ আগ মুহূৰ্তত পুঁজিবাদী সমাজৰ মূৰটোৱেই পচিবলৈ আৰম্ভ কৰে।

কেৱল পুঁজিবাদী সমাজ কিয়, – চিন্তাৰ অৰ্থাৎ মূৰৰ বিকৃতিয়েই যি কোনো ব্যক্তি বা সমাজৰ ধ্বংসৰ আগ-লক্ষণ। এটা কথাই আছে যে ঈশ্বৰে যাক ধ্বংস কৰিবলৈ ইচ্ছা কৰে, তেওঁ প্ৰথমে তাৰ মূৰটো নষ্ট কৰি দিয়ে।

২৫ জুনত চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত যি কাণ্ড কৰিলে—সেই বিষয়ে যোৱা এমাহ ধৰি বিতৰ্ক চলি আছে। মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কে বিভিন্ন প্ৰসংগত যিবোৰ কথা কৈছে—তাৰ মাজত চিন্তাৰ ঐক্য-সূত্ৰ বিচাৰি পোৱা অসম্ভৱ। পুলিচৰ আতিশয্য হৈছিল বুলি তেওঁ স্বীকাৰ কৰে, কিন্তু পিছ মুহূৰ্ততে কয় যে আতিশয্যৰ প্ৰয়োজন আছিল। আতিশয্য প্ৰয়োজনীয় বস্তু হ'ল কেতিয়াৰপৰা? বিশ্ববিদ্যালয়ত পুলিচৰ প্ৰবেশৰ যৌক্তিকতা প্ৰমাণ কৰিবলৈ এতিয়া ধোঁৱা-চাওৰপৰা পুলিচ আয়োগৰ প্ৰতিবেদন বাহিৰ কৰি উলিওৱা হৈছে। পুলিচ আয়োগৰ প্ৰতিবেদনেই চৰকাৰৰ কাৰণে বেদ-বাইবেল হ'ল কেতিয়াৰপৰা? যদি হ'লেই, তাত দেখোন লেখা আছিল ঃ "সম্ভৱ হ'লে আৰু অনায়াসে যোগাযোগ স্থাপন কৰিব পাৰিলে তেনে ক্ষেত্ৰত পুলিচে শিক্ষানুষ্ঠানৰ মুৰব্বীজনক খবৰ দিবও পাৰে।.... সৌজন্য আৰু সুবিধাৰ খাতিৰত শিক্ষানুষ্ঠানৰ মুৰব্বীজনক অৱগত কৰি আৰু তেওঁৰ সহায়-সহযোগ বিচৰাটো পুলিচৰ বাবে সম্ভৱ হ'ব পাৰে।" – চৰকাৰে এনে কোনো যুক্তি বা প্ৰমাণ দিব পাৰেনে যে ২৫ জুনৰ দিনা পুলিচৰ পক্ষে উপাচাৰ্য্যক সামান্য এটা খবৰ দিয়াও সমূলি সম্ভৱ নাছিল? এনে এটা প্ৰশ্ন উঠিলেই দেখোন চৰকাৰ অসহায় ভাৱে নিবোকা চামোনৰ দৰে নীৰৱ হৈ পৰে।

যোৱা এমাহৰ ঘটনাৱলীৰ দ্বাৰাই চৰকাৰে দুটা কথা প্ৰমাণ কৰিছে ঃ (১) আইন-শৃংখলা ৰক্ষাৰ দায়িত্বৰ বাহিৰে আন কোনো নৈতিক দায়িত্বকে স্বীকাৰ নকৰি বা যথাযথ প্ৰাধান্য নিদি এই চৰকাৰে ৰাজ্যত পুলিচ-ৰাজৰ সৃষ্টি কৰিছে; (২) শিষ্টাচাৰ, শালীনতা, হিতাহিত-বোধ আদি জীৱনৰ সূক্ষ্ম কথাবোৰৰ লগত এই চৰকাৰৰ কোনো পৰিচয় নাই। এই কথা ঠিক যে আইন-শৃংখলা ৰক্ষাই যি কোনো চৰকাৰৰ প্ৰাথমিক দায়িত্ব। কিন্তু চূড়ান্ত বিশ্লেষণত আইন-শৃংখলাও এটা নৈতিক প্ৰস্তাৱহে; ই এটা উপায় মাত্ৰ, একমাত্ৰ লক্ষ্য নিশ্চয় নহয়। তদুপৰি, ময়লা কাপোৰেৰে যেনেকৈ টেবুল চাফা কৰিব নোৱাৰি, ঠিক তেনেকৈ বিশৃংখল আৰু উন্মত্ত পুলিচ-বাহিনীয়েও শৃংখলা স্থাপন কৰিব নোৱাৰে। জনতাৰ বিশৃংখলা দমন কৰিবৰ কাৰণে পুলিচ-বাহিনীক নিজে বিশৃংখল, ধ্বংসোন্মাদ আৰু ৰক্ত-লোলুপ হোৱাৰ অধিকাৰ অসমৰ মুখ্যমন্ত্ৰীয়ে দিব পাৰে, কিন্তু কোনো সভ্য সমাজৰ আইনে পুলিচক সেই অধিকাৰ দিয়া নাই।

অসম চৰকাৰে জেদ্ পৰিহাৰ কৰিবৰ সময় হ'ল। তাকে নকৰি ৰাজ্যখনৰ সমগ্ৰ শিক্ষানুষ্ঠান আৰু বুদ্ধিজীৱী সমাজক সমুখ সমৰলৈ প্ৰত্যাহ্বান কৰাৰ পৰিণতি সকলোৰে কাৰণেই সৰ্বনশীয়া হ'ব পাৰে। অসম চৰকাৰে নিশ্চয় এই কথা জানে যে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা প্ৰতিবেদনৰ লগত ৰাজ্যপালে দাখিল কৰা প্ৰতিবেদনৰ মিল নাই; তেওঁলোকে এই কথাও নিশ্চয় জানে যে ৰাজ্যিক মন্ত্ৰী-সভাৰেই কোনো কোনো সদস্যই কেন্দ্ৰীয় তদন্তকাৰী বিষয়াৰ আগত অসম চৰকাৰৰ কাৰ্য্যৰ সমালোচনা কৰিছে। অৰ্থাৎ সম্প্ৰতি অসম চৰকাৰৰ মত বুলি যিটো কথা চলি আছে, সেইটো মাত্ৰ দুজনমান মানুহৰ মত। জেদ পৰিহাৰ কৰিলেই এতিয়াও তেওঁলোকে যুক্তিৰ পথলৈ আহিব পাৰে আৰু দুয়ো পক্ষৰ মুখ-ৰক্ষা হোৱাকৈ এটা সমাধান-সূত্ৰ ওলাব পাৰে। এই ক্ষেত্ৰত ৰাজ্যপালে এটা ডাঙৰ ভূমিকা লব বুলি আমি আশা কৰিছো।

২ জুলাইৰ প্ৰস্তাৱ অনুসৰি ১৪ জুলাইৰ বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোৰ্টৰ সদস্যসকলে পদত্যাগ নকৰাটো এটা অনৈতিক কাৰ্য্য হৈছে। মানুহে যেনেকৈ কোনো প্ৰতিদান বা পুৰস্কাৰৰ লোভত নহয়, কিন্তু কেৱল সত্যৰ খাতিৰতেই সঁচা কথা ক'ব লাগে,—সি এটা মূল্যবোধৰ প্ৰশ্ন,—ঠিক তেনেকৈ মানুহে নিজৰ বচন ৰক্ষা কৰাৰ প্ৰয়োজনতেই বচন ৰক্ষা কৰিব লাগে। গান্ধীজীয়ে কৈছিল ঃ Never make a promise in haste; having made it, fulfill it at the cost of your life। এই সম্পৰ্কে বিতৰ্ক উঠাত গান্ধীজীয়ে ব্যাখ্যা কৰি কৈছিল যে সংকল্পৰ দৃঢ়তাৰ অবিহনে কোনো মহৎ কৰ্ম সম্পন্ন কৰিব নোৱাৰি, আৰু সত্যক বিসৰ্জন দিলে সামাজিক সম্পৰ্কৰ কোনো নিৰ্ভৰযোগ্য ভিত্তিয়েই অৱশিষ্ট নাথাকে। ভুল হওক শুদ্ধ হওক—২ জুলাইৰ প্ৰস্তাৱ আছিল তেনে এটা প্ৰতিজ্ঞা বা সত্য; ১৪ জুলাইৰ কোৰ্টৰ বৈঠকত বহুতো সদস্যই নৈতিকতাৰ লগত সম্পৰ্কহীন ওকালতি যুক্তি দেখুৱাই সেই সত্যক বিসৰ্জন দিলে, আৰু লগতে প্ৰমাণ কৰিলে যে তেওঁলোক বিশ্বাসৰ যোগ্য নহয়।

সাপ্তাহিক নীলাচল, ২৮৯ সংখ্যা : ৩১ জুলাই, ১৯৭৪ চন

বিশ্ববিদ্যালয়ৰ ঘটনাক কেন্দ্ৰ কৰি চৰকাৰৰ মাজত প্ৰচণ্ড মত-ভেদ

বিশ্ববিদ্যালয় এলাকাত পুলিচৰ অনুপ্ৰবেশ আৰু অত্যাচাৰৰ ঘটনা কেন্দ্ৰ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত যি অচলাবস্থাৰ সৃষ্টি হৈছিল, তাৰ অৱসান হোৱাৰ শেষ সম্ভাৱনা এতিয়াও চকুত পৰা নাই। বিশ্ববিদ্যালয়ৰ ভৱিষ্যত এতিয়াও অনিশ্চিত। চৰকাৰে এখন অৰ্ডিন্যান্স আনি গুৱাহাটী বিশ্ববিদ্যালয় এ্যাক্ট সাময়িকভাৱে বাতিল কৰি এজন প্ৰশাসক বহাব বুলি পৰ্য্যবেক্ষক মহলে অনুমান কৰিছে। (২৯ জুলাই অৰ্থাৎ এই নিবন্ধ লেখাৰ সময়লৈকে এই অৱস্থা। কাকত প্ৰকাশ হোৱাৰ আগে আগে নতুন ঘটনা ঘটিব পাৰে)।

বিশ্ববিদ্যালয় সম্পৰ্কীয় আলোচনাত শিক্ষা-মন্ত্ৰীৰ কোনো ভূমিকা নাই

অচলাবস্থাৰ অৱসানৰ সূত্ৰ হিচাপে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই মুখ্যমন্ত্ৰীৰ ওচৰত যি ন্যূনতম দাবী দাঙি ধৰিছিল, সেইটো হ'ল, (১) গ্ৰেপ্তাৰ হোৱা ল'ৰাবোৰক বিনা চৰ্তত মুক্তি দিব লাগিব, আৰু (২) বিশ্ববিদ্যালয় এলাকাত পুলিচী প্ৰবেশৰ ক্ষেত্ৰত সদৌ ভাৰত ভাইচ চ্যান্সেলৰ অভিবৰ্তনত গৃহীত সুপাৰিশ অনুসৃত হ'ব লাগে। কেন্দ্ৰীয় চৰকাৰ আৰু ইউনিভাৰ্চিটি গ্ৰাণ্টচ্ কমিশনে এই অভিবৰ্তনৰ সুপাৰিশ বিশ্ববিদ্যালয় এলাকাত পুলিচৰ অনুপ্ৰবেশৰ মানদণ্ড হিচাবে গ্ৰহণ কৰিছে বুলি কোৱা হয়। কিন্তু আলোচনাৰ বিভিন্ন পৰ্য্যায়ত কেতিয়াবা ৰাজ্য চৰকাৰৰ 'কঠোৰ' মনোভাৱ পৰিবৰ্তনৰ লক্ষণ দৃশ্যমান হ'লেও নিৰ্দিষ্ট কাৰ্য্যক্ৰমৰ মাজত তাৰ প্ৰকাশত তেওঁলোকে মান্তি হোৱা নাই। বস্তুতঃ, শেষ পৰ্য্যন্ত আলোচনা কেৱলমাত্ৰ ছাত্ৰসকলক মুক্তি দিয়াৰ প্ৰশ্নত সীমাবদ্ধ হৈ পৰে; কিন্তু, আচৰিত কথা যে উচ্চপদস্থ বিষয়াসকলক এই বিষয়ে সহানুভূতিশীল যেন দেখা গ'লেও তীব্ৰ আপত্তি আহে মন্ত্ৰী মহলৰ পৰা। মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে আইনগত বাধাৰ কথা তোলে আৰু 'let the law take its own course' জাতীয় মন্তব্য কৰে। ৰাজ্যিক গৃহদপ্তৰৰ ৰাষ্ট্ৰমন্ত্ৰীয়ে পোনপটীয়াভাৱে কয় যে ছাত্ৰসকলক চৰকাৰে এনেয়ে এৰিব নোৱাৰে, কিয়নো, কঠোৰ নীতি লোৱাটো কেবিনেটৰ সিদ্ধান্ত। আচৰিত কথা, বিশ্ববিদ্যালয়ক কেন্দ্ৰ কৰি হোৱা ইমান ডাঙৰ ঘটনা প্ৰবাহত শিক্ষামন্ত্ৰীৰ কোনো ভূমিকা নাছিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ লগত চৰকাৰৰ আলোচনাতো মুখ্যমন্ত্ৰী আৰু গৃহদপ্তৰৰ ৰাষ্ট্ৰমন্ত্ৰীয়ে অংশ লৈছে, শিক্ষামন্ত্ৰীৰ কোনো অস্তিত্বই নাই।

চীফ্ চেক্ৰেটাৰীয়ে কৰা চিঠিৰ খচৰা কিয় সলনি কৰা হ'ল?

২৩ জুলাইৰ ৰাতিপুৱা উপাচাৰ্য্য আৰু বিশ্ববিদ্যালয়ৰ আন আন প্ৰতিনিধিসকলে চীফ চেক্ৰেটাৰীৰ লগত কথা পাতে। মুখ্যমন্ত্ৰী দিল্লীৰ পৰা উভতি আহি ৰাতি সাতটাত বিশ্ববিদ্যালয় কৰ্তৃপক্ষক লগ ধৰে। মুখ্যমন্ত্ৰীক তেতিয়া এটা সমাধানৰ বাবে আগ্ৰহী যেন দেখা গৈছিল আৰু সঁচাকৈ এটা মীমাংসাৰ সম্ভাৱনাও তেতিয়া উজ্জ্বল যেন লাগিছিল। উল্লেখযোগ্য যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষ তেওঁলোকৰ ন্যূনতম দুটা দাবীত সদায় অবিচলিত আছিল, আৰু ২৪ জুলাইৰ ৰাতিপুৱা আলোচনা পুনৰ আৰম্ভ হোৱাত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই যি চিঠি দিয়ে, তাত এই দাবীৰ পুনৰুল্লেখ কৰা হয়। গোটেইবোৰ ছাত্ৰক এদিনৰ ভিতৰত এৰি দিয়া সম্ভৱ নহ'লেও দুই তিনিদিনৰ ভিতৰত সম্ভৱ হ'ব, আৰু এই বিষয়ে এটা সুস্পষ্ট লিখিত আশ্বাস দিয়াত চৰকাৰৰ আপত্তি নাই—এনে এটা ধাৰণা মুখ্যমন্ত্ৰীয়ে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ মনত সৃষ্টি কৰিছিল।

এই মৰ্মে লিখিত এটা প্ৰতিশ্ৰুতি পালে কোৰ্টৰ সমূহীয়া পদত্যাগৰ সিদ্ধান্ত স্থগিত ৰখা সম্ভৱ হ'ব পাৰে বুলি তেওঁলোকে ভাবিছিল। ২৪ জুলাইত মুখ্যমন্ত্ৰী শ্বিলঙলৈ যায় আৰু চীফ চেক্ৰেটাৰীয়ে চৰকাৰী প্ৰতিশ্ৰুতি সম্বলিত চিঠিখন দুপৰীয়া এটাৰ ভিতৰত পঠাই দিব বুলি কয়। চীফ চেক্ৰেটাৰীয়ে যেতিয়া সমস্যাৰ সমাধান হৈছে বুলি সন্তোষ প্ৰকাশ কৰে। কিন্তু জানিব পৰা গৈছে, চীফ চেক্ৰেটাৰীয়ে চৰকাৰী চিঠিৰ যি খচৰা তৈয়াৰী কৰিছিল, গৃহ দপ্তৰৰ ৰাষ্ট্ৰমন্ত্ৰীৰ হস্তক্ষেপত সি সম্পূৰ্ণ পৰিবৰ্তিত হয়। প্ৰকাশ, চীফ চেক্ৰেটাৰীৰ ড্ৰাফ্টত ল'ৰাবোৰক মুক্ত কৰাৰ বিষয়ে চৰকাৰী আগ্ৰহৰ কথা উল্লিখিত হৈছিল, আৰু চিঠিৰ ভাষা আছিল বহুতো পৰিমাণে নৰম। এই চিঠিখনৰ ভিত্তিত কোৰ্টে যাতে পদত্যাগৰ সিদ্ধান্ত স্থগিত ৰাখিব পাৰে, অথচ চৰকাৰৰ মৰ্য্যাদাও অক্ষুণ্ণ থাকে এনে ধৰণৰ মনোভাব লৈ মুখ্যমন্ত্ৰীৰ সৈতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ আলোচনাক ভিত্তি কৰি চিঠিখন লেখা হৈছিল। কিন্তু পৰিবৰ্তিত চিঠিত সমস্যাৰ সমাধানৰ বাবে কোনো আগ্ৰহ চৰকাৰে প্ৰকাশ কৰা নাই, ল'ৰাবোৰক মুক্তি দিয়াৰ বিষয়ে এটা কথাও কোৱা নাই, যিবোৰ মামলাৰ চাৰ্জচীট দিয়া হৈছে তাৰ এটা পৰ্য্যালোচনা (quick review) কৰি চাব, কেৱল এইখিনিহে আছে, 'জেলত থকা ছাত্ৰসকলে আইন অনুসাৰে মুক্ত হোৱাৰ সুবিধা পাব' ('The students and others in jail custody will get the benefit of release according to law') তাত চৰকাৰী বদান্যতাৰ থল ক'ত কব নোৱাৰো।

চৰকাৰৰ মাজত প্ৰচণ্ড মত-ভেদ

লক্ষণীয় বিষয় এই যে, বিশ্ববিদ্যালয়ৰ বিষয়ে ৰাজ্য চৰকাৰে এতিয়ালৈকে যি নীতি গ্ৰহণ কৰি আছে, তাত ৰাইজৰ সমৰ্থনতো নায়েই চৰকাৰৰ মাজতো ঐক্যমত নাই। ৰাজ্যপাল, শিক্ষামন্ত্ৰী আৰু চীফ্ চেক্ৰেটাৰী – এই তিনিজন গুৰুত্বপূৰ্ণ পদাধিকাৰীয়ে তেওঁলোকৰ মতান্তৰৰ কথা গোপন ৰখা নাই। (ৰাজ্যপালে তেওঁৰ নিজস্ব সূত্ৰে পুলিচৰ অত্যাচাৰৰ খবৰ পাই বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহে আৰু চৰকাৰী বক্তব্যৰ লগত আচল ঘটনাৰ অমিল দেখি যায়)। বিশ্ববিদ্যালয়ৰ চ্যান্সেলৰ হিচাপে ৰাজ্যপালেই বিশ্ববিদ্যালয় কৰ্তৃপক্ষক আপোচ মীমাংসাৰ ন্যুনতম চৰ্ত সম্বন্ধে পৰামৰ্শ দিয়ে। প্ৰকাশ, চৰকাৰৰ অনাৱশ্যক জেদে সমস্যাক জটিল কৰি তুলিছে বুলি ৰাজ্যপালে ভাবে। আনফালে মন্ত্ৰীসভাৰ বৈঠকত একাধিক মন্ত্ৰীয়ে বিশ্ববিদ্যালয়-সম্পৰ্কিত নীতি সম্বন্ধে বিৰূপ মত প্ৰকাশ কৰে। ছাত্ৰসকলক মুক্ত নকৰি বিশ্ববিদ্যালয়ৰ লগত প্ৰত্যক্ষ সংঘৰ্ষত উপনীত হোৱাটো অৰাজনৈতিক হৈছে বুলিও মন্তব্য কৰা হয়। শিক্ষামন্ত্ৰী আৰু মন্ত্ৰীসভাৰ অজ্ঞাতসাৰে বিশ্ববিদ্যালয় সম্পৰ্কিত যাবতীয় গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা লৈ মন্ত্ৰীসভাত বোলে কথা উঠিছিল। ৰাজ্যপালৰ অনুমোদনৰ অভাব আৰু মন্ত্ৰীসভাত গুৰুতৰ মতভেদৰ উপৰিও চীফ চেক্ৰেটাৰী আৰু প্ৰশাসনৰ এটা উল্লেখযোগ্য অংশই চৰকাৰৰ এইবোৰ কাম-কাজ সমৰ্থন কৰা নাই। চীফ চেক্ৰেটাৰীয়ে ইতিপূৰ্বে প্ৰশাসনিক নানা কামত অনাৱশ্যক আৰু বিৰক্তিকৰ ৰাজনৈতিক হস্তক্ষেপৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছিল। মন্ত্ৰীসভাৰ অত্যুৎসাহী কোনোবা ঘনিষ্ঠ সদস্যই প্ৰকাৰান্তৰে অধস্তন কৰ্মচাৰীৰ আনুগত্যহীনতাক (in subordination) প্ৰশ্ৰয় প্ৰশাসনৰ কামত হস্তক্ষেপ কৰি আছে বুলি তেওঁ ভাবে; বিশ্ববিদ্যালয়ৰ ঘটনাক কেন্দ্ৰ কৰি এনে এটা ঘটনা হৈছে। অহা ১ আগষ্টৰ পৰা চীফ চেক্ৰেটাৰী চাৰি মাহৰ ছুটীত যোৱাৰ কথা— বিশ্ববিদ্যালয়ৰ ঘটনাক লৈ মন্ত্ৰীৰ সৈতে মতান্তৰ তাৰ এটা অন্যতম কাৰণ বুলি ওয়াকবহাল মহলে ভাবে।

চৰকাৰে সোনকালে বিশ্ববিদ্যালয়ত এজন চৰকাৰী বিষয়াক 'প্ৰশাসক' হিচাবে নিযুক্ত কৰিব পাৰে। কিন্তু ছাত্ৰ, অধ্যাপক আৰু কৰ্মীসকলৰ সম্পূৰ্ণ অসহযোগৰ মাজত চৰকাৰী বিষয়া এজনে পুলিচ-চি আৰ পিৰ সহায়েৰে বিশ্ববিদ্যালয় চলাব পাৰিবনে?

বিপদৰ বন্ধু

অসমৰ মুখ্যমন্ত্রীয়ে বানপানীৰ লগত সন্ধি কৰি জীয়াই থাকিবলৈ শিকিবলৈ ৰাইজক পৰামর্শ দিছে। কিন্তু বানপানীৰ লগত সহাবস্থান কৰাৰ অর্থ কি — সেইটো অসমৰ ৰাইজে যোৱা দুমাহে হাড়ে হাড়ে বুজি পাইছে। তাৰ অর্থ হ'ল বানপানীৰ সর্বনাশী প্রলয়ংকৰী আক্রমণৰ সন্মুখত অসহায় আত্ম-সমর্পণ, মৃত্যুৰ ওচৰত আত্ম-সমর্পণ, ভাগ্যৰ ওচৰত নতি-স্বীকাৰ। যোৱা দুমাহে অসমৰ লাখ লাখ অসহায় নিৰুপায় মানুহে ঠিক তাকেই কৰিছে। এতিয়ালৈকে এশজনতকৈ বেছি মানুহ বানপানীৰ কোবাল সোঁতে উটুৱাই নিছে, গৰু-ম'হৰ মৃত্যুৰ সীমা-সংখ্যা নাই, খাব নোপোৱা মানুহৰ চকুৰ আগতে বানপানীয়ে চাৰি কোটি টকাৰ শস্য নষ্ট কৰিছে। মৃত্যুৰ ফান্দত আবদ্ধ হৈ পৰা এই লাখ লাখ দুর্ভগীয়া মানুহৰ অসহায় আর্তনাদ ব্রহ্মপুত্রৰ গর্জন আৰু অৰণ্যৰ ধুমুহাৰ লগতেই বোধহয় মিলি শেষ হৈ গৈছে, চহৰৰ ৰাজনৈতিক বিপ্লৱী আৰু বাগ্ বিলাসী বুদ্ধি-জীৱীৰ হৃদয়ত সি আহি প্রতিধ্বনিত হোৱাৰ কোনো প্রমাণ এতিয়ালৈকে আমি পোৱা নাই।

মানুহে কথাতেই কয় বোলে বিপদৰ বন্ধুহে আচল বন্ধু। চহৰৰ বুদ্ধি-জীৱীয়ে ৰাইজৰ দুখ-দুৰ্গতিৰ কথা আলোচনা কৰিয়েই চাহৰ কাপত ধুমুহাৰ সৃষ্টি কৰে। ছাত্রই ৰাইজৰ ভৱিষ্যতৰ কাৰণেই বিপ্লৱ কৰাৰ সংকল্প লয়। ৰাজনীতিক সকলৰ ৰাইজৰ চিন্তাতেই ৰাতি চকুলৈ টোপনি নাহে। কিন্তু অপ্রিয় হ'লেও এই কথা সঁচা যে তেওঁলোকৰ মানস-পটত থকা সেই মানুহ কল্পনাৰ বিমূর্ত মানুহ; প্রতিদিনৰ জীৱন সংগ্রামত ভাগৰি পৰি অকাল মৃত্যু আৰু দুর্ভিক্ষৰ ওচৰত আত্ম-সমর্পণ কৰা তেজ-মাংসৰ মানুহ নহয়। ৰাইজৰ বর্তমান বিপদৰ সময়ত যি মানুহ গৈ ৰাইজৰ কাষত ঠিয় নহয়গৈ ৰাইজৰ ভৱিষ্যতৰ কাৰণে চিন্তা কৰিবলৈ তেওঁৰ একো অধিকাৰ নাই। ৰাইজৰ ভৱিষ্যতৰ কাৰণে কৰা যি কোনো চেষ্টা বা সংগ্রাম ৰাইজৰ বর্তমান সমস্যা আৰু বিপদৰ লগতো সম্পর্কিত হ'ব লাগিব; তেতিয়াহে ৰাইজে তেওঁলোকক নিজৰ মানুহ বুলি গ্রহণ কৰিব।

অসমৰ লাখ লাখ মানুহৰ সন্মুখত আজি অতিশয় দুর্দিন। বানপানী শুকাই যোৱাৰ পাছত সেই দুর্দিন অন্ত নপৰে, সি বৰং বাঢ়িবহে। বানপানীৰ পাছত আহিব মাৰি-মৰক, অনাহাৰ আৰু অনাটন। কেৱল চৰকাৰী প্রচেষ্টাৰে ৰাইজৰ এই বিৰাট সমস্যাৰ সমাধান কৰিব পৰা নাযাব। তাৰ কাৰণে এক বিপুল ৰাজহুৱা প্রচেষ্টাৰ প্রয়োজন হ'ব। আমি ভাবোঁ যে ছাত্রসকলৰ বিৰাট সংঘবদ্ধ শক্তিয়ে এই ক্ষেত্রত এটা গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে। কোনটো সময়ত কোনটো কথাক অগ্রাধিকাৰ দিব লাগে সেইটো বুজি পোৱাৰ মাজতে মানৱীয় বিবেচনা আৰু দূৰদর্শিতা ফুটি উঠে। ছাত্রসকলে যদি ৰাইজৰ এই পৰম দুর্দিনৰ সময়ত তেওঁলোকৰ কাষত থিয় দিয়েগৈ, বিপন্ন ৰাইজৰ উদ্ধাৰ আৰু সহায়ৰ কাৰণে অর্থ সংগ্রহ অভিযান আৰম্ভ কৰে, ৰাইজৰ দুখ-দুর্দশাৰ প্রকৃত ছবি দেশবাসীৰ চকুৰ আগত দাঙি ধৰি তেওঁলোকৰ বিবেক আৰু সেৱাৰ মনোভাব জগাই তুলিবলৈ চেষ্টা কৰে — তেন্তে তেওঁলোকে এটা ডাঙৰ নৈতিক দায়িত্ব পালন কৰা হ'ব আৰু লগতে ৰাইজৰো আস্থা আৰু কৃতজ্ঞতা অর্জন কৰিব। একে আষাৰে ক'বলৈ গ'লে ছাত্র, যুৱক আৰু বুদ্ধিজীৱীসকলে নিজকে ৰাইজৰ বিপদৰ বন্ধু বুলি প্রমাণ কৰিব পাৰিব লাগিব। আজি তেনে এটা সময় উপস্থিত হৈছে। ৰাইজৰ দুখ-দুর্দশা ছাত্র আৰু যুৱকসকলৰ বিবেকৰ এটা পৰীক্ষা, তেওঁলোকৰ সামাজিক দায়িত্ব-বোধৰ প্রতি এটা প্রত্যাহ্বান। এই প্রত্যাহ্বানৰ প্রতি তেওঁলোকে কি ভাবে সঁহাৰি দিয়ে তাৰ প্রতি ৰাইজে নিশ্চয় দৃষ্টি ৰাখিব।

সাপ্তাহিক নীলাচল, ২৯১ সংখ্যা : ১৪ আগষ্ট, ১৯৭৪ চন

স্বাধীনতা-দিৱস কোনে পালন কৰিব?

কাইলৈ ১৫ আগষ্ট, ভাৰতৰ ইতিহাসৰ এটি চিৰ-স্মৰণীয় দিন। সাতাইশ বছৰৰ আগতে এই দিনটোতে ভাৰতে দুশ বছৰীয়া বিদেশী শাসনৰ অন্ত পেলাই স্বাধীন জীৱনৰ পাতনি মেলিছিল আৰু এক নতুন সুখী ভবিষ্যতৰ স্বপ্ন দেখিছিল। বছৰে বছৰে এই দিনটোতে দেশবাসীয়ে স্বাধীনতা দিৱস উদযাপন কৰি দেশৰ মুক্তি-সংগ্ৰামৰ গৌৰৱ-ময় ঐতিহ্য স্মৰণ কৰে আৰু স্বাধীনতাৰ তাৎপৰ্য্য উপলব্ধি কৰিবলৈ চেষ্টা কৰে। এইবাৰো যথা-ৰীতি স্বাধীনতা-দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। কিন্তু সেই প্ৰস্তুতি জনতাৰ হৃদয়ত চলা নাই, সি চলিছে চৰকাৰী দপ্তৰ-খানাত; স্বাধীনতা দিবস উদ্‌যাপিত হ'ব জনতাৰ স্বতঃস্ফূৰ্ত আবেগ-অনুভূতিৰে নহয়, সি উদ্‌যাপিত হ'ব কৰ্তব্য-বিমুখ আৰু আদৰ্শচ্যুত শাসকৰ প্ৰাণহীন মুখস্থ কৰা বক্তৃতাৰে। সাতাইশ বছৰৰ পাছত এয়েই হ'ল আজি দেশৰ অবস্থা, স্বাধীনতাৰ তাৎপৰ্য্য।

কাইলৈ ১৫ আগষ্টৰ ৰাতিপুৱাতে ৰাজ্যৰ ৰাজধানীত আৰু প্ৰতিখন জিলাৰ সদৰ-ঠাইত স্বাধীনতা দিবসৰ উৎসৱ আৰম্ভ হ'ব। প্ৰহৰী পৰিবেষ্টিত হৈ মন্ত্ৰী আহিব, পুলিচ-মিলিটেৰীৰ বেণ্ড বাজিব, পতাকা উত্তোলন কৰা হ'ব, আৰু ক্ষয় গৈ গৈ বে-সুৰীয়া হোৱা গ্ৰামোফোনৰ পুৰণি ৰেকৰ্ডৰ দৰে মন্ত্ৰীৰ মুখস্থ কৰা অৰ্থহীন বক্তৃতাৰে উৎসৱৰ সামৰণি পৰিব। স্বাধীনতা দিৱস উদযাপন কৰিবলৈ কোনবোৰ মানুহ আহিব? আহিব কেৱল সেইবোৰ মানুহ যিসকলে শাসক দলৰ ৰাজনৈতিক ব্যৱসায়ৰ অংশীদাৰ হৈ কম-বেছি পৰিমাণে লভ্যাংশ পাইছে; আহিব আমোলাসকল; আহিব স্বাধীনতাৰ সমস্ত সুফল আত্ম-সাৎ কৰি পৰিপুষ্ট হোৱা সুবিধা-ভোগী শ্ৰেণীৰ মুষ্টিমেয় লোকসকল। স্বাধীনতাৰ যদি আজি কিবা অৰ্থ আছে তেন্তে সি কেৱল এইসকল লোকৰ কাৰণেই। দেশৰ বাকী যি কোটি কোটি জনতাৰ নামত স্বাধীনতা অৰ্জন কৰা হৈছিল, তেওঁলোকে কাইলৈ ৰাতিপুৱা কি কৰিব? With iron in their soul; তেওঁলোকে নিজৰ ভাগ্যক আৰু এবাৰ ধিক্কাৰ দিব; ভোকৰ জ্বালাত এটা বিনিদ্ৰ ৰজনী যাপন কৰাৰ পাছত নতুন দিনৰ অকৰুণ সূৰ্য্যই তেওঁলোকক নৰকৰ লেলিহান জুইৰ দৰে দগ্ধ কৰিব; তেওঁলোক কোনোবা ওলাব খাদ্য সন্ধানী আদিম গুহা-মানৱৰ দৰে আজিৰ জুইয়ে-পোৰা বজাৰত এমুঠি দুৰ্মূল্য চাউলৰ সংগ্ৰহ অভিযানত, কোনোবা ওলাব ভিক্ষাপাত্ৰ হাতত লৈ, কোনোবা ওলাব নিজৰ পেটৰ সন্তানক সুলভতম মূল্যত বিক্ৰী কৰিবলৈ। এই কোটি কোটি মানুহে ভোকৰ জ্বালাত চেঙা লুটি পাৰি আৰ্তনাদত গগন খলক লগাই থাকিব, আৰু তাৰ মাজতে মাত্ৰ এমুঠি ভাগ্যবান মানুহে গাব স্বাধীনতাৰ বন্দনা গান। এয়েই হ'ল ১৯৭৪ চনৰ স্বাধীনতা উৎসৱৰ আচল ৰূপ।

এটা নিৰ্দিষ্ট সীমা পাৰ হৈ গ'লে মুদ্ৰাস্ফীতিয়ে সদায় বিপ্লৱ আৰু অৰাজকতাৰ সৃষ্টি কৰে। ভাৰত আজি সেই সীমাত উপনীত হৈছে। চাৰিওফালে মানুহৰ চকুত হিংসা আৰু ক্ৰোধৰ জুই জ্বলিছে। কিন্তু ডাঙৰ বিপদৰ কথা হৈছে এয়েই যে জনতাৰ এই ক্ৰোধ আৰু হিংসাই এতিয়াও কোনো সৃষ্টিকামী আৰু সু-পৰিকল্পিত বিপ্লৱৰ ৰূপ ল'ব পৰা নাই। স্বাধীন ভাৰতৰ ইতিহাসৰ গভীৰতম অৰ্থনৈতিক সংকটৰ সন্মুখত এহাতে যেনেকৈ শাসক দলে পক্ষাঘাতগ্ৰস্ত হৈ অসহায় আৰু নিৰুপায় দৰ্শকৰ ভূমিকা লৈছে, আনহাতে

তেনেকৈ অ-সংগঠিত জনতা আৰু অনৈক্য-জৰ্জৰিত বিৰোধী দলবোৰেও দিশ-হাৰা হৈ নিষ্ফল উত্তেজনাত কেৱল শক্তি ক্ষয় কৰিছে। দেশত আজি বিপ্লৱ চলা নাই; সমস্যা সমাধানৰ কোনো প্ৰণালীবদ্ধ প্ৰচেষ্টা চলা নাই, চলিছে কেৱল বিক্ষিপ্ত লক্ষ্য-হীন বিক্ষোভ আৰু আত্ম-ক্ষয়ী উত্তেজনা। যিসকল লোকে বিপ্লৱ কৰিছোঁ বুলি ভাবি আত্ম-প্ৰসাদ লাভ কৰিছে, তেওঁলোকেও উপলব্ধি কৰা উচিত যে এনেধৰণৰ বিক্ষিপ্ত আৰু বিচ্ছিন্ন আন্দোলনে প্ৰকৃত সমাজ-বাদ আৰু গণতন্ত্ৰৰ পথ সুগম কৰাৰ পৰিবৰ্তে ফেচিজিম বা এক-নায়কত্ব-বাদৰ পথো মুকলি কৰি দিব পাৰে। কাৰণ দীৰ্ঘ-দিন ধৰি চলা এনে ধৰণৰ বিক্ষিপ্ত উত্তেজনা আৰু আন্দোলনবোৰে যেতিয়া জনতাৰ একো উপকাৰ সাধিব নোৱাৰে, তেতিয়া জনতাই ইকুল-সিকুল দুয়ো কুল হেৰুৱাই অতিষ্ঠ হৈ মনে-প্ৰাণে শান্তি আৰু শৃংখলা কামনা কৰিবলৈ ধৰে আৰু তেনে অৱস্থাতে কোনোবা strong man বা শক্তিশালী নায়ক আহি উপস্থিত হ'লেই হিতাহিত বিবেচনা নকৰি তেওঁৰ ওচৰত আত্ম-সমৰ্পণ কৰে। এনেকৈয়ে ফেচিজিমৰ পথ প্ৰশস্ত হয়। অলপতে দিল্লীত বহা এখন সভাত কেন্দ্ৰীয় পৰিকল্পনা-মন্ত্ৰী শ্ৰীদুৰ্গাপ্ৰসাদ ধৰে এনেকৈ কোৱা বুলি প্ৰকাশ যে ভাৰতৰ বৰ্তমান পৰিস্থিতিক হিট্‌লাৰৰ অভ্যুত্থানৰ ঠিক পূৰ্বৰ জাৰ্মানীৰ পৰিস্থিতিৰ লগত তুলনা কৰিব পাৰি। আমিও ঠিক তেনেকৈয়ে অনুভৱ কৰোঁ। কিন্তু শ্ৰীধৰে লগতে এই বুলিও কোৱা উচিত আছিল যে ভাৰতত এনে অৱস্থা সৃষ্টি হোৱাৰ কাৰণে তেওঁৰ দল আৰু তেওঁৰ চৰকাৰেই প্ৰধানকৈ দায়ী। এই বিষয়ে কোনো সন্দেহ নাই যে কংগ্ৰেছ চৰকাৰৰ দুৰ্নীতি, অকৰ্মণ্যতা আৰু জন-বিৰোধী নীতিয়েই আজি দেশত ফেচিজিমৰ অভ্যুত্থানৰ পথ সুগম কৰি দিছে।

দেশৰ সাতাইশ বছৰীয়া স্বাধীনতা-দিৱসত জনতাই প্ৰধানকৈ চিন্তা কৰিবলগীয়া কথা এইটোৱেই : তেওঁলোকে প্ৰকৃত সমাজ-বাদৰ পথত অগ্ৰসৰ হৈ গণতন্ত্ৰক ৰক্ষা কৰিব, নে আত্ম-ক্ষয়ী অ-সংগঠিত বিক্ষোভত লিপ্ত হৈ স্বেচ্ছাচাৰী একনায়কত্ব-বাদৰ পথ মুকলি কৰি দিব? বিপ্লৱ নিশ্চয় 'নতুন সৃষ্টিৰ ——' কিন্তু দিগ্-ভ্ৰান্ত মৰা-মৰি কটা-কটি উত্তেজনা বিপ্লৱ নহয়, আৰু সি সদায় ফেচিজিমৰ আগলি-বতৰা। ১৫ আগষ্ট সম্পূৰ্ণ অৰ্থ-হীন নহয়। পেটত ভাত থকা আৰু হাতত ক্ষমতাৰ বাঘ-জৰী থকাবোৰে সেইদিনা গড়া-খহনীয়াত খহি পৰিব খোজা অট্টালিকাৰ ওপৰত থিয় হৈ তেওঁলোকৰ 'শোষণৰ স্বাধীনতা'ৰ উৎসৱ পালন কৰক; যাৰ পেটত ভাত নাই, যাৰ চকুত ক্ষুধাৰ জুই জ্বলিছে, যিসকল ভৱিষ্যতৰ উত্তৰাধিকাৰী,— তেওঁলোকে নতুনকৈ সংকল্প লওক সৃষ্টি-কামী বিপ্লৱৰ আৰু প্ৰকৃত স্বাধীনতা-অৰ্জনৰ।

মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিদ্ৰোহ

যোৱা ১৬ আগষ্ট তাৰিখে দিছপুৰত অনুষ্ঠিত কংগ্ৰেছ বিধায়িনী দলৰ সভাত সুদস্যসকলৈ বহুদিনৰ সঞ্চিত ক্ষোভ আৰু উত্তেজনা প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ বিৰুদ্ধে প্ৰায় বিদ্ৰোহ ঘোষণা কৰে।

সভাত ঘাইকৈ সাম্প্ৰতিক বানপানী আৰু খাদ্যৰ পৰিস্থিতিৰ বিষয়ে আলোচনা হৈছিল। মুখ্যমন্ত্ৰীয়ে আলোচনা মুকলি কৰি প্ৰায় আধাঘণ্টা সময় ধৰি বানপানীৰ ক্ষয়-ক্ষতিৰ এখন তালিকা গাবলৈ ধৰে। এনেতে তেওঁ বক্তৃতাৰ মাজতে জালালউদ্দিন আহমদে মাত লগাই কয় যে এইবোৰ বক্তৃতা বহুত শুনা গ'ল, এতিয়া বৰ্তমানৰ উদ্বেগজনক পৰিস্থিতিত চৰকাৰৰ আৰু পাৰ্টিৰ কি কৰ্তব্য- সেইটোহে আলোচনা কৰিব লাগে। আটাউৰ ৰহমানে কয়— "গাঁও- ভুঁইৰ অৱস্থা বৰ্ণনাতীত হৈছে। খাবলৈ নাপাই মানুহ মৰিব ধৰিছে, সেই কথা গোপন কৰি বা অস্বীকাৰ কৰি লাভ নাই। ৰাজ্যখনৰ এই অভূতপূৰ্ব সংকটজনক পৰিস্থিতিত চৰকাৰে ৰাইজৰ দুখ- মোচনৰ কাৰণে কি কৰিব খুজিছে, কেৱল সেইটো জানিবলৈহে ৰাইজ উদ্‌গ্ৰীৱ হৈ আছে।' শান্তিৰঞ্জন দাসগুপ্তই কয়- "১৯৪৩ চনত বংগদেশত যি অবৰ্ণনীয় দুৰ্ভিক্ষ হৈছিল, সম্প্ৰতি অসমতো তেনে এটা দুৰ্ভিক্ষ হোৱাৰ পূৰ্বাভাস দেখা গৈছে। ৰাস্তাই- ঘাটে মানুহ খাবলৈ নাপাই মৰিব ধৰিছে, ভিক্ষাৰীৰ লানি নিছিগা সমদল দেখা গৈছে। ১৯৪৩ চনত কলিকতাত যেনেকৈ 'ভুখা-মিছিল' বাহিৰ হৈছিল,অসমতো তেনেকুৱা ভুখা-মিছিল বাহিৰ হ'বলৈ বেছি দিন নাই।' লীলাকান্ত বৰাই কয়— "কংগ্ৰেছী সদস্যসকলে নিজ নিজ সমষ্টিত ৰাইজৰ মুখামুখি হোৱাটো অসম্ভৱ হৈ পৰিছে। দলীয় শৃংখলা মানি আমি বহুত দিন নেতাৰ ওপৰতে সকলো দায়িত্ব দি মুখ বন্ধ কৰি আছোঁ। কিন্তু এতিয়া অৱস্থা এনেকুৱা হৈ আহিছে যে মুখ বন্ধ কৰি থকা আৰু সম্ভৱ নহয়।' ডঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামীয়ে কয়,— "কেৰালাত বানপানীয়ে দেখা দিয়াৰ লগে লগেই কেন্দ্ৰীয় চৰকাৰে কেৰালাক এককোটি টকাৰ সাহায্য দিছে। কিন্তু কেন্দ্ৰীয় মন্ত্ৰী দেৱকান্ত বৰুৱাৰ বিশেষ অনুৰোধত বাণিজ্য মন্ত্ৰী দেবীপ্ৰসাদ চট্টোপাধ্যায়ে কেইথানমান মাৰ্কিন কাপোৰ অসমলৈ বেচিকৈ পঠাম বুলি প্ৰতিশ্ৰুতি দিয়াৰ বাহিৰে আজিলৈকে এটা ফুটা কড়িও কেন্দ্ৰীয় সাহায্য হিচাবে অসমলৈ অহা নাই। ইয়াৰ কাৰণ কি? অসমৰ প্ৰতি বৈষম্যমূলক আচৰণ, নে কেন্দ্ৰীয় চৰকাৰক অসমৰ পৰিস্থিতিৰ বিষয়ে অবগত কৰোঁৱাত ৰাজ্য চৰকাৰৰ ব্যৰ্থতা? দ্বিতীয়তে, অসম চৰকাৰে কৈ ফুৰিছে যে ১৯৭২-৭৩ চনৰ ১২ লাখ কুইণ্টল ধানৰ ঠাইত ১৯৭৩-৭৪ চনত অসম চৰকাৰে ১৭ লাখ কুইণ্টল ধান সংগ্ৰহ কৰিছে আৰু সেইটোকে এটা বিৰাট কৃতিত্ব বুলি জাহিৰ কৰা হৈছে। কিন্তু ১৯৬৪-৬৫ চনত ধানৰ উৎপাদন কম হোৱা স্বত্বেও সেই সময়ৰ চৰকাৰে ৩০ লাখ কুইণ্টল ধান সংগ্ৰহ কৰিব পাৰিছিল; তেনে স্থলত১৯৭৩ চনত ধানৰ উৎপাদন বেছি হোৱা সত্বেও অসম চৰকাৰে নিজে ধাৰ্য্য কৰি লোৱা লক্ষ্যৰ ২৪ লাখ কুইণ্টল ধানো সংগ্ৰহ কৰিব নোৱাৰিলে কিয় ?"— এইবোৰ বক্তৃতা হৈ থকাৰ মাজতে ডঃ সুৰেন দাসে উঠি কলে— "যোৱা ১৪ আগষ্ট তাৰিখে কেন্দ্ৰীয় কৃষি মন্ত্ৰী শ্ৰী এ পি শ্বিন্দেই ৰাজ্য সভাত ঘোষণা কৰিছে যে অসম চৰকাৰৰ পৰা পোৱা প্ৰতিবেদনমতে অসমত অনাহাৰতো মানুহ মৰা নাই আৰু খাদ্যৰো অভাৱ হোৱা নাই। এনে ভুল খবৰ সঁচাকৈ ৰাজ্য চৰকাৰেই কেন্দ্ৰক দিছেনেকি? ডঃ দাসে এই প্ৰশ্ন কৰাৰ লগে লগে

ৰাজেন ফুকন, লক্ষ্মী শইকীয়া, লীলাকান্ত বৰা, অতুল শইকীয়া, মানবেন্দ্ৰ শৰ্মা আদি পাঁচ- ছজন সদস্যই একেলগে উঠি উত্তেজিতভাৱে মুখ্যমন্ত্ৰীৰ পৰা স্পষ্টীকৰণ দাবী কৰে। মুখ্যমন্ত্ৰীয়ে তেতিয়া উত্তৰ দিয়ে যে তেওঁ তেনে খবৰ কেন্দ্ৰক দিয়া নাই, আৰু আজিয়েই তেওঁ এই বিষয়ে শ্ৰীশ্বিন্দেলৈ এখন চিঠি লেখিব। মুখ্যমন্ত্ৰীৰ উত্তৰত সদস্যসকল মহা উত্তেজিত হৈ পৰে। তেওঁলোকে এক মুখে দাবী কৰে যে মুখ্যমন্ত্ৰীয়ে শ্ৰীশ্বিন্দেলৈ কেৱল ব্যক্তিগত চিঠি লেখিলেই নহ'ব; তেওঁ এটা ৰাজহুৱা বিবৃতি দি কেন্দ্ৰীয় মন্ত্ৰীৰ এই উক্তিৰ প্ৰতিবাদ কৰিব লাগিব। সদস্যসকলৰ ঐক্যবদ্ধ দাবীৰ ওচৰত সেও মানি মুখ্যমন্ত্ৰীয়ে এটা ৰাজহুৱা বিবৃতি দিবলৈ সম্মত হয়।

দেশতকৈ মোমাই ডাঙৰ নহয়

সভাত আকৌ খাদ্য পৰিস্থিতিৰ আলোচনা আৰম্ভ হয়। সদস্যসকলৰ ক্ৰুদ্ধ সমালোচনাৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ যি কথা আগতে কহবাৰ কৈছে, এতিয়াও সেই কথাকে পুনৰ দোহাৰিব; সেইটো হৈছে এই যে খাদ্য ব্যৱসায় ৬৬৩ জন ব্যক্তিগত ব্যৱসায়ীৰ হাতৰ পৰা আমি ৬৬৩ খন সমবায়ৰ হাতত দিয়াৰ কাৰণেই ধান- চাউলৰ দাম বাঢ়িছে বুলি অভিযোগ কৰাৰ কোনো যুক্তি নাই, অৰ্থাৎ ধান-চাউলৰ দাম বঢ়াৰ কাৰণে চৰকাৰৰ খাদ্যনীতি দায়ী নহয়। সদস্যসকলে এই কথা ৰাইজক বুজাব লাগে। মুখ্যমন্ত্ৰীৰ এই উদ্ভুৎ উক্তিয়ে ইমানদিনে অসমৰ ৰাইজক পাগল কৰি ৰাখিছিল; এইবাৰ কংগ্ৰেছ বিধায়িনী দলৰ সদস্যসকলৰো ধৈৰ্য্য-চ্যুতি ঘটিল। ডঃ ৰবীন্দ্ৰকুমাৰ গোস্বামীয়ে প্ৰশ্ন কৰিলে— "কথাটো যদি ইমান সামান্যই আছিল, তেন্তে ধান- চাউলৰ ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ অনাৰ আগে আগে কিয় ঢাক-ঢোল পিটি এটা মনস্তাত্বিক বাতাবৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছিল? কিয় এই ব্যৱস্থাক এটা বৈপ্লবিক সমাজবাদী পদক্ষেপ বুলি বৰ্ণনা কৰা হৈছিল? কিয় ৰাইজক প্ৰতিশ্ৰুতি দিয়া হৈছিল যে চৰকাৰে যি দামত ৰাইজৰ পৰা ধান কিনিছে, ঠিক সেই একে দামতে আকাল আৰু অনাটনৰ সময়ত ৰাইজক ধান দিয়া হ'ব? আজি সেই প্ৰতিশ্ৰুতি কলৈ গ'ল?" আটাউৰ ৰহমানে প্ৰশ্ন কৰিলে— "চৰকাৰে কেৱল কিবা ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত হৈহে ধান-চাউলৰ ব্যৱসায় নিজৰ হাতলৈ নিছিলনেকি?"

আটাউৰ ৰহমানৰ প্ৰশ্ন মুখ্যমন্ত্ৰী খণ্ডত জ্বলি-পকি উঠিল। খঙৰ উত্তেজনাত প্ৰায় বাক্-ৰুদ্ধ হৈ তেওঁ গাৰ জোৰেৰে চিঞৰি চিঞৰি ক'বলৈ ধৰিলে— "হয়, ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত হৈয়েই আমি এই কাম কৰিছিলো। কংগ্ৰেছ এটা ৰাজনৈতিক অনুষ্ঠান, আৰু ৰাজনৈতিক দলে ৰাজনৈতিক উদ্দেশ্যলৈয়েই কাম কৰে। মই এই নীতি কেতিয়াও পৰিত্যাগ নকৰোঁ। শেষ পৰ্য্যন্ত অকলশৰীয়াকৈ হ'লেও মই এই নীতি অনুসৰণ কৰি যাম। যিসকল পশ্চাদপসৰণবাদী সদস্যই আদি এই নীতিৰ সমালোচনা কৰিছে, বৰং তেওঁলোকেই ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত হৈ মোৰ সমালোচনা কৰিছে।"

মুখ্য- মন্ত্ৰীৰ এই ক্ৰুদ্ধ উত্তৰ শুনি ৰাজেন ফুকনে জাঁপ মাৰি উঠি অত্যন্ত উত্তেজিত হৈ মুখ্য-মন্ত্ৰীৰ ফালে আঙুলি টোৱাই ক'বলৈ ধৰিলে— 'মুখ্যমন্ত্ৰী ডাঙৰীয়া, আপুনি যি ভাবাবে আৰু যি ভংগীৰে আজি এইখিনি কথা কৈছে, তেনেকৈ কথা কবৰ অধিকাৰ থকা নেতা দেশত শ্ৰীমতী ইন্দিৰা গান্ধীৰ বাহিৰে আন কোনো আছে বুলি আমি স্বীকাৰ নকৰোঁ। আপোনাৰ এনেকৈ কথা ক'বলৈ কোনো অধিকাৰ নাই। আপুনি এটা গণতান্ত্ৰিক দলৰ নেতা। দলে যি নিৰ্দ্দেশ দিয়ে আৰু যি নীতি ঠিক কৰে, আপুনি সেই মতেহে কাম

কৰিব লাগিব। আপোনাৰ এনেকুৱা কথা আমি বহুত দিন শুনিলো আৰু নুশুনো। মনত ৰাখিব— 'দেশতকৈ মোমাই ডাঙৰ নহয়।'

ৰাজেন ফুকন বহাৰ লগে লগে পাঁচ-ছজন সদস্যই একেলগে থিয় হৈ উত্তেজিতভাৱে মুখ্যমন্ত্ৰীৰ উত্তৰ প্ৰতিবাদ কৰিবলৈ ধৰিলে। লক্ষ্মী শইকীয়াই ক'লে— 'মুখ্যমন্ত্ৰীয়ে সদস্যসকলক পশ্চাদপসৰণ দাবী বুলি যি অভিযোগ কৰিছে, সেইটো অতিশয় আপত্তিজনক। তেওঁ এই কথা উঠাই ল'ব লাগিব।' এই সময়তে সভাত উত্তেজনাই চৰম- সীমা পালেগৈ। সদস্যসকলৰ উত্তেজনা আৰু ক্ৰোধ দেখি মুখ্যমন্ত্ৰী ইমান আতংকিত হৈ পৰিল যে তেওঁ শান্ত নৰম মাতেৰে প্ৰতিশ্ৰুতি দিলে যে সদস্যসকলে তেওঁক যি নিৰ্দেশ দিয়ে, তেওঁ এতিয়াৰ পৰা সেই মতেই কাম কৰিব।

যি সময়ত ৰাজ্যখনত খাবলৈ নাপাই মানুহ কুকুৰ- মেকুৰীৰ দৰে ৰাস্তাই- ঘাটে মৰিবলৈ ধৰিছে, অভূতপূৰ্ব দুৰ্ভিক্ষৰ কৰাল ছাই সমগ্ৰ ৰাজ্য চানি ধৰিছে, শ শ মানুহে পেটৰ সন্তানক গৰু-ম'হৰ দৰে বিক্ৰী কৰিবলৈ ধৰিছে, সেই সময়তো অসমৰ সমাজ-বাদী মুখ্যমন্ত্ৰীয়ে চকুৰ পছাৰ এটা নেপেলোৱাকৈ ক'বলৈ প্ৰয়াস কৰে যে অসমত ধান-চাউলৰ দাম বঢ়া নাই, খাদ্য- বস্তুৰ অনাটন হোৱা নাই, অনাহাৰত মানুহ মৰা নাই, তেওঁৰ খাদ্যনীতি ভুল নহয়। এতিয়া একমাত্ৰ আশাৰ ৰেঙনি এয়েই যে ৰাইজৰ প্ৰতিনিধিসকলে অৱশেষত মুখ মেলিছে। অসমৰ সাম্প্ৰতিক ৰাজনীতিত ১৬ আগষ্টৰ কংগ্ৰেছ-বিধায়িনী দলৰ অধিবেশন নিঃসন্দেহে এটা গুৰুত্বপূৰ্ণ ঘটনা।

মুখ্যমন্ত্ৰীৰ অগ্নি-পৰীক্ষা

কংগ্ৰেছ বিধায়িনী দলৰ সভাত যোৱা ১৬ আগষ্টত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে যি প্ৰবল বিস্ফোৰণ হ'ল, সেইটো এটা বৃহত্তৰ ৰাজনৈতিক ঘটনা প্ৰবাহৰ আৰম্ভণি যেন লাগিছে। সিদিনাৰ সভাত মুখ্যমন্ত্ৰী আৰু তেওঁৰ মন্ত্ৰীসভাৰ বিৰুদ্ধে যি অবৰুদ্ধ ক্ৰোধ প্ৰকাশ পাইছে, সেইটো প্ৰকাশ্য বিদ্ৰোহৰেই নামান্তৰ। তেনে বিদ্ৰোহৰ মুখামুখি হৈ মুখ্যমন্ত্ৰীয়ে আবিষ্কাৰ কৰিলে, নিজ দলৰ ভিতৰত তেওঁক সমৰ্থন দিবলৈ এজন সদস্যও আগবাঢ়ি অহা নাই। আন কি, মন্ত্ৰীসকলেও যৌথ দায়িত্বৰ নীতি অনুযায়ী খাদ্যনীতিৰ ব্যৰ্থতাৰ দায়িত্ব ল'বলৈ আগ্ৰহশীল নহয়। মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ৰাইজৰপৰা বহুতো দিন আগতেই বিচ্ছিন্ন হৈ পৰিছে; এতিয়া বিধায়িনী দলত তেওঁৰ বিৰুদ্ধে প্ৰকাৰান্তৰে অনাস্থাৰ ভাব প্ৰকাশ কৰা হৈছে, আৰু মন্ত্ৰীসভাৰ সদস্যসকলে তাত নিৰ্বাক দৰ্শকৰ ভূমিকা গ্ৰহণ কৰিলে। চাৰিওফালৰ পৰা আক্ৰমণৰ সন্মুখীন হৈ মুখ্যমন্ত্ৰীয়ে বিধায়িনী দলৰ সভাত সিদিনা নিজকে 'ক্ৰুচবিদ্ধ যীশু'ৰ সৈতে তুলনা কৰিছে।

মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ-লিপিত চহীৰ সংখ্যা বাঢ়ি আছে

বিধায়িনী দলৰ বিদ্ৰোহ এটা আকস্মিক বিস্ফোৰণৰ মাজত সীমিত হৈ থকা নাই। কংগ্ৰেছৰ কেইজনমান বিবেকবান বিধায়কে এই ৰাজ্যব্যাপী দুৰ্ভিক্ষ আৰু নাটনিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ বহু ঘোষিত নীতিবোৰ কাৰ্য্যকৰী কৰিবলৈ ৰাজ্য চৰকাৰে কেনেদৰে ব্যৰ্থ হৈছে, তাৰ এটা চমু বিবৰণ দাঙি ধৰি মুখ্যমন্ত্ৰীক অভিযুক্ত কৰিব বিচাৰিছে। বিধায়কসকলৰ মাজতে প্ৰকাশ্যেই এই অভিযোগ-লিপিত স্বাক্ষৰ সংগ্ৰহ চলি আছে। বিধায়কসকলৰ চহী তাত প্ৰত্যেকদিনে বাঢ়িয়েই আছে। মুখ্যমন্ত্ৰী যে সম্পূৰ্ণভাৱে অকৃতকাৰ্য্য হৈছে, সেই বিষয়ে এতিয়া বিধায়িনী দলৰ এজন সদস্যৰো বোধকৰো কোনো সংশয় নাই, আৰু তেওঁ ৰাজ্যখনৰ কাণ্ডাৰী হৈ থাকিলে অসমত কংগ্ৰেছৰ ভবিষ্যত অতি অনুজ্জ্বল বুলি তেওঁলোকে প্ৰকাশ্যে ক'বলৈ আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ-লিপিত এতিয়ালৈকে কিমান চহী পৰিছে, ক'ব নোৱাৰো, কিন্তু মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ মহলতো যি ধৰণৰ কথা-বাৰ্তা চলিছে, তাত এটা বস্তু স্পষ্ট হৈ পৰিছে যে বিধায়িনী দলত সংখ্যাগৰিষ্ঠৰ দৃঢ় সমৰ্থন এতিয়া মুখ্যমন্ত্ৰীৰ প্ৰতি নাই। মুখ্যমন্ত্ৰীৰ উদ্দেশ্যে লিখিত অভিযোগ-লিপি যদিও অনাস্থা প্ৰস্তাৱ নহয়, কিন্তু চৰকাৰী নীতিৰ ব্যৰ্থতাৰ খতিয়ান এই প্ৰতিবেদন অধিকাংশ কংগ্ৰেছী বিধায়কৰ চহীযুক্ত হ'লে সি প্ৰকৃততে অনাস্থা প্ৰস্তাৱ হিচাবেই বিবেচিত হ'ব। সেইবাবে ক্ষমতাসীন গোষ্ঠীয়ে অতি শঙ্কিতবোধ কৰিছে। বিধায়কসকলক ব্যক্তিগতভাৱে মাতি আনি নানা সা-সুবিধাৰ আশ্বাস দিয়া মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ মহলৰ পৰা ইতিমধ্যে আৰম্ভ হৈছে বুলি জনৰব শুনা গৈছে। ক্ষেত্ৰ বিশেষে ব্যক্তিগত ত্ৰুটি-বিচ্যুতি দুৰ্বলতাৰ সুযোগ লৈ প্ৰভাৱিত কৰাৰ চেষ্টাও বোলে চলিছে। ইতিমধ্যে যিসকল বিধায়কে অভিযোগ-লিপিত দস্তখত কৰিছে, সেইসকলৰ বেছিভাগেই অনুসূচিত সম্প্ৰদায়, পিছপৰা সম্প্ৰদায়, অনগ্ৰসৰ মুছলমান আৰু চাহ বাগিচাৰ বনুৱা সম্প্ৰদায়ভুক্ত। পিছপৰা গোষ্ঠী আৰু সম্প্ৰদায়ৰ এই বিৰোধিতা বৰ্তমান ক্ষমতাসীন গোষ্ঠীৰ পিছপৰা জাতিবোৰৰ পটভূমিত অতি তাৎপৰ্যপূৰ্ণ।

মুখ্যমন্ত্রীয়ে কংগ্রেছ বিধায়িনী দলত তেওঁৰ ক্ৰম-ময়ীমান সমৰ্থন লক্ষ্য কৰি এতিয়া আকৌ মন্ত্ৰীসভাৰ সাল-সলনিৰ কথাও চলাইছে। অন্ততপক্ষে মন্ত্ৰীপদ-প্ৰাৰ্থী কিছুমান বিধায়কক নিৰপেক্ষ কৰি ৰখাৰ উদ্দেশ্যই কিমানদিন মুখ্যমন্ত্ৰীক ৰক্ষা কৰিব পাৰিব, কোৱা টান। আচলতে মন্ত্ৰীসভাৰ সাল-সলনিত মুখ্যমন্ত্ৰীৰ কিছু বাস্তৱ অসুবিধাও আছে। এজনক মিত্ৰ কৰাত সমৰ্থ হ'লে দহজনক শত্ৰু বনোৱাৰ আশঙ্কাও তাত আছে।

মিছা বিবৃতি কোনে দিলে ঃ কেন্দ্ৰীয় কৃষি-মন্ত্ৰীয়ে নে অসমৰ মুখ্যমন্ত্ৰীয়ে?

বিধায়িনী দলৰ সভাত মুখ্যমন্ত্ৰীয়ে কৈছে যে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অসমত খাদ্যৰ যথেষ্ট মজুত আছে বুলি কেতিয়াও কোৱা নাই। ১৪ আগষ্টত পাৰ্লামেণ্টত কেন্দ্ৰীয় কৃষি মন্ত্ৰী শ্ৰীএ. পি. শ্বিন্দেই তেওঁৰ বিবৃতিত অসমত খাদ্যাভাব নাই বুলি মুখ্যমন্ত্ৰীয়ে জনাইছে বুলি যি মন্তব্য কৰে, বিধায়িনী দলৰ সভাত সেই সম্বন্ধে উত্তেজিত সমালোচনাৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে এই কথা কয়। সদস্যসকলৰ ঐক্যবদ্ধ দাবীত তেওঁ এটা ৰাজহুৱা বিবৃতি দি এই বিষয়ে কেন্দ্ৰীয় মন্ত্ৰীৰ উক্তিৰ প্ৰতিবাদ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ১৬ আগষ্টৰ ৰাতি এই প্ৰতিবাদ বিবৃতি দিয়াৰ কথা আছিল, কিন্তু আজি দহদিন পাছতো আমি মুখ্যমন্ত্ৰীৰ পৰা সেই বিষয়ে এটা বাক্যও শুনা নাই। বাক্‌বিস্তাৰত আমাৰ মুখ্যমন্ত্ৰীৰ তুলনা নাই; কিন্তু এতিয়া তেওঁ নিৰ্বাক হোৱাৰ ৰহস্য কি? কংগ্ৰেছ বিধায়িনী দলৰ সভাত দিয়া প্ৰতিশ্ৰুতি মতে এতিয়ালৈকে মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা বিবৃতি দি প্ৰতিবাদ কৰা নাই কিয়? মুখ্যমন্ত্ৰীয়ে আগষ্টৰ প্ৰথম ভাগত দিল্লীলৈ গৈ কেন্দ্ৰীয় কৃষি মন্ত্ৰণালয়ত অসমৰ খাদ্য পৰিস্থিতি স্বাভাৱিক বুলি বৰ্ণনা কৰিছে; এই কথা সঁচা নহ'লে কৃষি মন্ত্ৰীয়ে পাৰ্লামেণ্টত মিছা বিবৃতি দিছে বুলি ধৰিব লাগিব। কেন্দ্ৰীয় কৃষি মন্ত্ৰীয়ে পাৰ্লামেণ্টত মিছা বিবৃতি দিয়াৰ কোনো কাৰণ নাই, সংসদৰ অধিকাৰ ভঙ্গৰ অভিযোগ (Breach of privilege) উঠাৰ অকাৰণ দায় তেওঁ কিয় ল'ব? প্ৰকাশ, বিধায়িনী দলত মুখ্যমন্ত্ৰীৰ এই অস্বীকৃতি বাতৰি কাকতত দেখি কেন্দ্ৰীয় কৃষি মন্ত্ৰীয়ে অসম চৰকাৰক জানিবলৈ দিছে যে ৰাজহুৱা বিবৃতিৰ যোগেদি তেওঁৰ সংসদ বিবৃতিৰ সত্যতা চ্যালেঞ্জ কৰিলে পাৰ্লামেণ্টত তেওঁৰ বিৰুদ্ধে অধিকাৰ ভঙ্গৰ অভিযোগ আহিব পাৰে। সেই ক্ষেত্ৰত নিজৰ বিবৃতিৰ সমৰ্থনত তেওঁ বিভিন্ন সময়ত অসম চৰকাৰে যিবোৰ প্ৰতিবেদন আৰু চিঠি-পত্ৰ দি অসমত খাদ্যৰ নাটনি নাই বুলি খাদ্যাবস্থা স্বাভাৱিক বুলি তেওঁক জনাইছে, সেই গোটেইবোৰ তথ্যপাতি তেওঁ সংসদত দাঙি ধৰিবলৈ বাধ্য হ'ব। দিল্লীৰ পৰা এই সতৰ্কবাণী পোৱাৰ পাচতে মুখ্যমন্ত্ৰীয়ে বোলে ৰাজহুৱা বিবৃতি দি কৃষিমন্ত্ৰীৰ বক্তব্যৰ প্ৰতিবাদ কৰাৰ পৰা নিবৃত্ত হৈছে। কৃষিমন্ত্ৰীক তেওঁ কি কৈছে, কৃষি মন্ত্ৰালয়ক ৰাজ্য চৰকাৰে কি ৰিপোৰ্ট দিছে, অসমৰ ৰাইজে সেইবোৰ কথা নাজানে। (বাৰে বাৰে যি আশাপ্ৰদ চিত্ৰ তেওঁ দাঙি ধৰিছে আৰু যোৱা মাহতো চৰকাৰে প্ৰকাশ্যে খাদ্যৰ নাটনি যি ভাবে অস্বীকাৰ কৰিছে, সেইটো অৱশ্যে ৰাইজৰ জনা আছে।) কিন্তু তেওঁ নিজে ভালদৰেই জানে আৰু সেই কাৰণেই কেঁচু খান্দোঁতে সাপ ওলোৱাৰ ভয় মুখ্যমন্ত্ৰীৰ আছে। কোনে মিছা কথা কৈছে, কেন্দ্ৰীয় কৃষিমন্ত্ৰীয়ে নে অসমৰ মুখ্যমন্ত্ৰীয়ে, কংগ্ৰেছ বিধায়িনী দলৰ অহা অধিৱেশনত সেইটো ওলাই পৰিব।

মুখ্যমন্ত্ৰী আৰু অসম কংগ্ৰেছ

যি সময়ত এফালে বানপানীৰ তাণ্ডৱ-লীলা আৰু আনফালে দুৰ্ভিক্ষ মহামাৰীয়ে সমগ্ৰ ৰাজ্যজুৰি মৃত্যুৰ কৰাল ছাঁ পেলাইছে সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ক্ষমতাৰ ৰাজনীতিত সম্পূৰ্ণ অসহায় হৈ পৰা যেন দেখা গৈছে। যোৱা ১৬ আগষ্টৰ কংগ্ৰেছ বিধায়িনী দলৰ সভাত তেওঁৰ বিৰুদ্ধে যি বিদ্ৰোহৰ সূচনা হৈছিল, যোৱা ৩০ আৰু ৩১ আগষ্ট তাৰিখে বহা প্ৰদেশ কংগ্ৰেছ কাৰ্য্য-নিৰ্বাহক কমিটিৰ সভাত তাৰেই পুনৰাবৃত্তি ঘটে।

প্ৰদেশ কংগ্ৰেছৰ সংগঠন যে মুখ্যমন্ত্ৰীৰ হাতৰ পৰা সম্পূৰ্ণভাৱে ওলাই গৈছে তাৰ ইংগিত আগতেই পোৱা গৈছিল। সেই কথা আকৌ স্পষ্ট হ'ল সংগঠন পুনৰুজ্জীৱন সম্পৰ্কীয় পাঁচজনীয়া চাব-কমিটিৰ ৰিপোৰ্টত। এই চাব-কমিটিৰ সদস্য কেইজন আছিল সৰ্বশ্ৰী মইনুল হক চৌধুৰী, শ্ৰীমান প্ৰফুল্ল গোস্বামী, তিলক গগৈ, ললিত কুমাৰ দলে আৰু মুখ্যমন্ত্ৰী শ্ৰীসিংহ। এই চাব কমিটিতো মুখ্যমন্ত্ৰী সম্পূৰ্ণ অকলশৰীয়া হৈ পৰিছে; অৰ্থাৎ সংগঠনৰ পুনৰুজ্জীৱনৰ বাবে বাকী চাৰিজন সদস্যই একমত হৈ যিবোৰ পৰামৰ্শ আগবঢ়াইছে শ্ৰীসিংহই সেইবোৰ সমৰ্থন কৰিব নোৱাৰি সুকীয়া টোকা দি তাৰ বিৰোধিতা কৰিছে। চাব কমিটিৰ এটা প্ৰধান প্ৰস্তাৱ হ'ল বৰ্তমান জেনেৰেল চেক্ৰেটাৰীৰ সমমৰ্যাদাসম্পন্ন আৰু দুজন জেনেৰেল চেক্ৰেটাৰীৰ নিযুক্তি। উল্লেখযোগ্য যে বৰ্তমান জেনেলেৰ চেক্ৰেটাৰী শ্ৰীধ্ৰুৱনাৰায়ণ বৰুৱা মুখ্যমন্ত্ৰীৰ বিশ্বস্ত অনুগামী। পৰ্য্যবেক্ষক মহলৰ ধাৰণা যে তেওঁৰ ক্ষমতা খৰ্ব কৰি তাৰদ্বাৰাই সংগঠনৰ ওপৰত মুখ্যমন্ত্ৰীৰ প্ৰভাৱ দুৰ্বল কৰাৰ উদ্দেশ্যে এই প্ৰস্তাৱ অনা হৈছে। বস্তুতঃ চাব কমিটিৰ সদস্যসকলে শ্ৰীধ্ৰুৱনাৰায়ণ বৰুৱাক সংগঠনৰ আচল কামৰ পৰা আঁতৰাই আনি তেওঁক ট্ৰেড ইউনিয়ন, ছাত্ৰ যুৱ মহিলা সেৱাদল আদি ফ্ৰণ্ট সংস্থাসমূহৰ সৈতে আৰু লগতে বিধায়িনী দলৰ সৈতে সংগঠনৰ যোগসূত্ৰ ৰখাৰ দায়িত্ব দিব খোজে। প্ৰস্তাৱিত নতুন জেনেৰেল চেক্ৰেটাৰীৰ পদ দুটাত চাব কমিটিয়ে বোলে এজন তৰুণ বিধায়ক আৰু সংখ্যালঘু সম্প্ৰদায়ৰ এজন তৰুণ আইনজীৱীক আনিব খোজে। (এই সম্পৰ্কত শ্ৰীলক্ষীকান্ত শইকীয়া-এম.এল.এ. আৰু চৌকৎ আলীৰ নাম বিশেষভাৱে শুনা গৈছে।) চাব কমিটিৰ চুপাৰিশ মতে যদি কাম হয় তেন্তে কংগ্ৰেছ ভৱনৰ ক্ষমতাৰ চাবি-কাঠি ধ্ৰুৱনাৰায়ণ বৰুৱাৰ হাতৰ পৰা আনি এই নতুন দুজন জেনেৰেল চেক্ৰেটাৰীৰ হাতত দিয়া হ'ব। সেইদৰে চাব কমিটিয়ে পৰামৰ্শ দিছে যে ৰাজ্যখনক দুটা অঞ্চলত ভাগ কৰি সেই দুয়োটা অঞ্চলৰ দায়িত্ব দুজন সভাপতিক দিব লাগে। বৰ্তমান সভাপতি দুজন এজনো মুখ্যমন্ত্ৰীৰ সমৰ্থক নহয়।

অহা ডিচেম্বৰ মাহত কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচনবোৰ হোৱাৰ কথা। তাৰ ঠিক আগে আগে কংগ্ৰেছ ভৱনৰ ক্ষমতা-বিন্যাস সলনি কৰিবৰ উদ্দেশ্যে চাব-কমিটিয়ে যিবোৰ পৰামৰ্শ দিছে, সেইবোৰ পৰামৰ্শই মুখ্যমন্ত্ৰীৰ মনত গভীৰ সন্দেহৰ উদ্ৰেক কৰিছে। চাব কমিটিৰ পৰামৰ্শ কাৰ্য্যকৰী হ'লে মুখ্যমন্ত্ৰীৰ বিশ্বাসৰ মানুহ শ্ৰীধ্ৰুৱনাৰায়ণ বৰুৱা সম্পূৰ্ণভাৱে ক্ষমতাহীন হৈ পৰিব আৰু সেই সুযোগতে আন দুজন জেনেৰেল চেক্ৰেটাৰীয়ে বিসম্বাদীসকলক কংগ্ৰেছ ভৱন দখল কৰাৰ সা-সুবিধা কৰি দিব বুলি স্বাভাৱিকতেই মুখ্যমন্ত্ৰীৰ

মনত আশংকাই ঠাই পাইছে। ফলত সংগঠনত নিজৰ অস্তিত্ব ৰক্ষাৰ প্ৰয়োজনত তেওঁ চাব-কমিটিৰ ৰিপোর্ট কার্য্যকৰী কৰাৰ বিৰুদ্ধে আপত্তি তুলিছে। প্ৰদেশ কংগ্ৰেছৰ অধিকাংশ সদস্যই এতিয়া মুখ্যমন্ত্ৰীৰ বিৰুদ্ধবাদী; গতিকে কংগ্ৰেছ সভাপতি ললিল কুমাৰ দলেক এই প্ৰস্তাৱ কার্য্যকৰী কৰিবলৈ কর্তৃত্ব দিয়া হৈছে।

সমগ্ৰ ৰাজ্যজুৰি দুৰ্ভিক্ষ আৰু মৃত্যুৰ কৰাল ছাঁ

১৯৪৩ চনৰ বংগদেশৰ দুৰ্ভিক্ষত ৩০ লক্ষ মানুহ মৰিছিল; সেই দুৰ্ভিক্ষ যেনেকৈ আৰম্ভ হৈছিল একেবোৰ লক্ষ্যণেই সম্প্ৰতি অসমতো দেখা গৈছে। এফালে বানপানীৰ তাণ্ডৱ-লীলা আনফালে চৰম খাদ্যাভাৱ। গাঁৱত মানুহ দিনৰ পিছত দিন অনাহাৰে থাকি মৰিবলৈ আৰম্ভ কৰিছে। এমুঠি চাউলৰ বাবে গাঁৱলীয়া গাভৰুৱে নকৰিবলগীয়া কাম কৰিছে। মাক-বাপেকে নিজৰ সন্তানক বজাৰত কুৰি-পঁচিশ টকাত বিক্ৰী কৰিছে। অলপতে ধুবুৰীৰ এটা ৰিলিফ কেম্পত এগৰাকী তিৰোতাই ভাত খাই থাকোতেই কোলাৰ কেচুঁৱাটো মৰি থাকিল। কেঁচুৱাটো মৰা বুলি জানিও তিৰোতাগৰাকীয়ে ভাত খাইয়ে থাকিল। কাৰণ তেওঁ জানে মুখৰ আগত থকা ভাত মুঠি খাই নল'লে আৰু কেইদিনলৈ ভাত নোখোৱাকৈ থাকিব লাগিব তাৰ ঠিক নাই। সমগ্ৰ ৰাজ্যজুৰি আজি এই অৱস্থাৰ সৃষ্টি হৈছে। গাঁৱত ভিক্ষাৰীয়ে উচ্ছিষ্ট পাবলৈ আশা নাই। ফলত গাঁৱৰ পৰা চহৰলৈ নতুনকৈ সৃষ্টি হোৱা ভিক্ষাৰীৰ মিছিল আৰম্ভ হৈছে। দুৰ্ভিক্ষৰ মূৰ্তিমান প্ৰতীক এই মানুহবোৰৰ কাৰণে চহৰৰ কংক্ৰিটৰ হৃদয়তো ক'তো অকণো আশ্ৰয় নাই। কুকুৰ-মেকুৰী মৰাৰ নিচিনাকৈ সিহঁত চহৰৰ বাটে-পথে মৰিবলৈ আৰম্ভ কৰিছে। যেতিয়া আমি দেখোঁ যে ৰাজ্যৰ এনেহেন অৱস্থাতো সমাজবাদী চৰকাৰে খাদ্য-নীতি নতুনকৈ বিবেচনা কৰি চোৱাৰ কোনো প্ৰয়োজন নাই আনহাতে মানুহ মৰিছে বুলি স্বীকাৰ কৰা নাই (অসম চৰকাৰৰ মানুহৰ সংজ্ঞা নিশ্চয় বেলেগ) কেন্দ্ৰৰ ভঁড়ালত অসমৰ কাৰণে অন্তহীন সহানুভূতিৰ বাহিৰে আন একো নাই আৰু মোল্লাৰ দৌৰ মছজিদ পর্য্যন্ত হোৱাৰ দৰে অসমৰ মুখ্যমন্ত্ৰীৰো এতিয়া বোম্বাইৰ কোটিপতি শিল্পপতিৰ ওচৰলৈ ভিক্ষা বিচাৰি যোৱাৰ বাহিৰে আন একো উপায় নাই।

বিবেকৰ পৰীক্ষা

অহা ১৬ চেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব লগা বিধান সভাৰ অধিবেশনত ৰাইজৰ প্ৰতিনিধিসকল এটা ডাঙৰ পৰীক্ষাৰ সন্মুখীন হ'ব। সেইটো হ'ব তেওঁলোকৰ বিবেকৰ পৰীক্ষা। কাৰণ এই অধিবেশনত নিশ্চিতভাৱেই অসমৰ সাম্প্ৰতিক খাদ্যসংকটৰ বিষয়টো উত্থাপিত হ'ব, আৰু সেই সম্পৰ্কতে চৰকাৰ নিশ্চয় তলৰ প্ৰশ্ন কেইটাৰ সন্মুখীন হ'ব : (১) অসমত চৰম খাদ্যাভাৱ বা দুৰ্ভিক্ষ হোৱাটো সঁচানে? (২) অনাহাৰত বহু মানুহৰ মৃত্যু হোৱা বুলি ওলোৱা বাতৰিবোৰ সঁচানে? (৩) ক্ষুধাৰ তাড়নাত মাক-বাপেকে সন্তানক বিক্ৰী কৰাটো বা তিৰোতাই বেশ্যা- বৃত্তি অৱলম্বন কৰাটো সঁচানে? (৪) অসমত এই চৰম খাদ্য-সংকট বা দুৰ্ভিক্ষ কোনে সৃষ্টি কৰিলে আৰু সেইবোৰ মানুহৰ কি শাস্তি হোৱা উচিত?— এই প্ৰশ্ন কেইটা চৰকাৰ তথা ৰাইজৰ প্ৰতিনিধিসকলৰ বিবেক আৰু মানৱতাবোধৰ প্ৰতি এটা ডাঙৰ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ প্ৰতি তেওঁলোকে কি ভাৱে সঁহাৰি দিয়ে তাৰ মাজতেই তেওঁলোকৰ মনুষ্যত্বৰ পৰিচয় ফুটি উঠিব, অৰ্থাৎ তেওঁলোক কিমানখিনি মানুহ আৰু কিমানখিনি কেৱল ৰাজনীতিক— তাৰ প্ৰমাণ পোৱা যাব।

ৰাজনীতিক হ'লেই, বিশেষকৈ শাসন- দণ্ড হাতত পৰিলেই, মানুহে যে নিজৰ মনুষ্যত্ব বহু পৰিমাণে বিসৰ্জন দিব লগা হয়— তাৰ হাজাৰটা উদাহৰণ আমি প্ৰতিদিনেই নিজৰ চকুৰ আগত দেখি আছোঁ। [illegible] চকুৰ আগতে শ শ হাজাৰ হাজাৰ মানুহ অনাহাৰত মৰা দেখিও বা তিলে তিলে মৃত্যুৰ মুখলৈ আগবাঢ়ি যোৱা দেখিও শাসন-ক্ষমতাত থকা ৰাজনীতিকৰ সমস্ত সময় আৰু শক্তি মানুহৰ দুখ-দুৰ্গতিৰ প্ৰতিকাৰ [illegible] পৰিবৰ্তে জ্বলন্ত নগ্ন সত্যক গোপন কৰাৰ চেষ্টাতে বা সেইবোৰ মৃত্যুৰ কাল্পনিক কাৰণ আৱিষ্কাৰৰ চেষ্টাতে নিশ্চয় খৰচ হৈ শেষ হৈ নগ'লহেঁতেন। এই দৰিদ্ৰ অভিশপ্ত দেশত প্ৰতি দিনেই হাজাৰ হাজাৰ মানুহৰ অনাহাৰত মৃত্যু হয়। কিন্তু সেইবোৰ মৃত্যুয়ে কেতিয়াও কোনো খবৰৰ সৃষ্টি নকৰে, সি কাৰো কাৰণে কোনো ৰাজনৈতিক সমস্যাৰ সৃষ্টি নকৰে, সি কাৰো বিবেকক বিচলিত নকৰে। আনকি দৰিদ্ৰ সৰ্ব-হাৰাৰ উদ্ধাৰৰ চিন্তাত চকুলৈ টোপনি নহা আমাৰ দেশৰ নতুন সমাজবাদীসকলৰ চকুতো বাটে-ঘাটে কুকুৰ-মেকুৰীৰ দৰে মৰা এই মানুহবোৰ কোনোদিনেই মানুহ নাছিল, এতিয়াও নহয়। তাৰ এটা প্ৰধান কাৰণ এয়েই যে এই মানুহবোৰে কেতিয়াও ভোট নিদিয়ে। ৰাজনীতিকৰ কাৰণে সমস্যাই দেখা দিয়ে তেতিয়া— যেতিয়া ভোট দিয়া মানুহবোৰ অৰ্থাৎ তেওঁৰ 'সমষ্টি'ৰ মানুহবোৰৰ মনত অসন্তুষ্টি ঘনীভূত হ'বলৈ ধৰে। সম্প্ৰতি অসমত ঠিক সেইটোৱেই হৈছে। অবিবেকী, অদূৰদৰ্শী আৰু অকৰ্মণ্য নেতাৰ ভুলৰ পৰিণাম স্বৰূপে ধান-চাউলৰ ক্ষেত্ৰত স্বাৱলম্বী অসমত এইবাৰ অভূতপূৰ্ব খাদ্য-সংকটে দেখা দিছে আৰু ইতিমধ্যেই শ শ মানুহ খাবলৈ নাপাই মৰিছে। এইবোৰ মৃত্যুৰ খবৰ কেৱল 'ৰাজনৈতিক ষড়যন্ত্ৰকাৰী' বাতৰি কাকতবোৰেই সৃষ্টি নহয়; ৰাজ্য-সভাত অসমৰ এজন কংগ্ৰেছী সদস্যই ধ্যৰ্থহীন ভাৱাৰে এই কথা প্ৰকাশ কৰিছে আৰু অসম বিধান সভাৰ কংগ্ৰেছী সদস্যয়ো তেনে খবৰ-বাতৰি কাকতত দিছে। স্বাভাৱিকতেই এইবাৰ বিধান সভাতো সেই প্ৰশ্ন উঠিব। চৰকাৰ নিশ্চয় এই প্ৰশ্নৰ সন্মুখীন হব : অসমত অনাহাৰত মানুহ মৰাৰ খবৰ সঁচানে? দীৰ্ঘ-দিনৰ অভিজ্ঞতাৰ পৰা ৰাইজে দেখি আহিছে যে চৰকাৰে অনাহাৰত মানুহ মৰাৰ বাতৰিৰ সত্যতা কেতিয়াও স্বীকাৰ নকৰে। এই দুশ্চৰিত্ৰ জাতিৰ অসৎ ৰাজনীতিকসকলে নিজৰ পাপ-বোধক প্ৰশমিত কৰিবৰ কাৰণে

বগাক ক'লা বুলি প্ৰমাণিত কৰাৰ বহুতো মৌলিক অভিনৱ উপায় আবিষ্কাৰ কৰিছে। এই ৰাজনীতিকসকলৰ মতে পৃথিৱীৰ দৰিদ্ৰতম দেশ ভাৰতবৰ্ষত মানুহ কেতিয়াও খাবলৈ নাপাই নমৰে, মৰে কেৱল অখাদ্য খাই বা পুষ্টিহীনতাৰ কাৰণে। যেন অখাদ্য খাই মৰা আৰু অনাহাৰত মৰাৰ মাজত এটা বিৰাট মৌলিক পাৰ্থক্য আছে! খাদ্যপৰিস্থিতি সম্পৰ্কে ভাৰতৰ সংসদ বা বিধান সভাবোৰত যি ধৰণৰ বিতৰ্ক হয় বা অনাহাৰজনিত মৃত্যুৰ বাতৰি অস্বীকাৰ কৰি চৰকাৰে যিবোৰ উত্তৰ দিয়ে, সেইবোৰ শুনি ৰসিক শ্ৰোতাৰ নিশ্চয় মনত পৰিব ৰবীন্দ্ৰনাথৰ 'হিং টিং ছট্' কবিতাৰ বিখ্যাত নৈয়ায়িকজনৰ কথালৈ ঃ

যে শুনিবে এই স্বপ্ন- মংগলেৰ কথা।
সৰ্ব-ভ্ৰম ঘুচে যাবে নহিবে অন্যথা।।
বিশ্বে কভু বিস্ব ভেৰে হবেনা ঠকিতে।
সত্যেৰে সে মিথ্যা বুলি বুঝিবে চকিতে।।
যা আছে তা নাই আৰ নাই যাহা আছে।
এ কথা জাজ্জল্যমান হবে তাৰ কাছে।।

বিধান সভাৰ তৰ্কৰ জোৰত বা চৰকাৰৰ কথাৰ ভেল্‌কি- বাজিত সত্যটোও মিথ্যা বুলি কোনো কোনো লোকৰ চকুত জাজ্জল্যমান হৈ দেখা দিব পাৰে, কিন্তু ভোকৰ জ্বালাত চেঙালুটি পাৰি থকা লাখ লাখ মানুহৰ চকুত সি দেখা দিব এক চৰম অমানবীয় অপৰাধৰূপে। সেই অপৰাধৰ বিচাৰ এদিন নিশ্চয় হ'বই হ'ব। সেই কাৰণেই আমি কৈছোঁ, এইবাৰৰ বিধান সভাৰ অধিবেশন হ'ব বিধায়কসকলৰ বিবেকৰ পৰীক্ষা। এইবাৰ অসমত অভূতপূৰ্ব খাদ-সংকট হৈছেনে নাই? খাদ্য দ্ৰব্যৰ মূল্য শতকৰা নৱৈজন মানুহৰ ক্ৰয় ক্ষমতাই চুকি নোপোৱা হৈছেনে নাই? ইতিমধ্যেই শ শ মানুহ খাবলৈ নাপাই মৰিছেনে নাই? এই দুৰ্ভিক্ষৰ কাৰণে চৰকাৰৰ চৰম অকৰ্মণ্যতা আৰু অদূৰদৰ্শীতাই দায়ী হয়নে নহয়? ৰাইজে আজি তেওঁলোকৰ প্ৰতিনিধিসকলৰ পৰা এইবোৰ প্ৰশ্নৰ স্পষ্ট আৰু দ্ব্যৰ্থ-হীন উত্তৰ বিচাৰে। ৰাইজে লগতে এইটোও বিচাৰে যে যদি বৰ্তমানৰ চৰকাৰেই এই কৃত্ৰিম আকাল, দুৰ্ভিক্ষ আৰু অনাহাৰজনিত মৃত্যুৰ কাৰণে দায়ী বুলি প্ৰমাণিত হয় , তেন্তে বিধান সভাৰ পবিত্ৰ বিচাৰালয়ত এই চৰকাৰৰ বিচাৰ হ'ব লাগে আৰু তেওঁলোকৰ উপযুক্ত শাস্তিৰ ব্যৱস্থা হ'ব লাগে। ফৰাচী লেখক ডিডেৰোৱে এবাৰ ভাচিলিৎচিকভ্ নামৰ এজন ৰাচিয়ান মন্ত্ৰীক বৰ্ণনা কৰি কৈছিল ঃ He is a saucepan on the boil and never cooking anything. আজি অসম চৰকাৰবো নেতৃত্ব কৰিছে এনেবোৰ মানুহেই। ৰাইজে বিচাৰে যে বিধান সভাই এনেবোৰ মানুহক জবাব-দিহি কৰিব লাগে। বিধান সভাই তাকে কৰিব নোৱাৰিলে তেওঁলোকে ৰাইজৰ চকুত অপৰাধী বুলি প্ৰমাণিত হ'ব আৰু বিবেকৰ পৰীক্ষাত তেওঁলোক অনুত্তীৰ্ণ হ'ব।

প্ৰাক্তন ৰাষ্ট্ৰপতি শ্ৰীগিৰিয়ে ৰাষ্ট্ৰপতি-ভৱনৰ পৰা বিদায় লোৱাৰ আগ মুহূৰ্তত সংসদৰ সদস্যসকলক উদ্দেশ্য কৰি কৈছিল ঃ "We talk and hear so much about the hoarders and black -marketers and other similar evil- doers; but is it beyond the legislators to indentify them and expose them ?... Corruption and failing standards in administration and public life have added to the miseries of the people; but to what extent are these evils or problems being refleted on the floors of parliament and state legislatures?

আমাৰ বিধায়ক তথা ৰাইজৰ প্ৰতিনিধিসকলে যেন শ্ৰীগিৰিৰ এই মৰ্ম-ভেদী প্ৰশ্নকেইটা সততে মনত ৰাখি চলে।

মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি

আপুনি ৰাইজক ঘাইকৈ দুটা প্ৰতিশ্ৰুতি দি ক্ষমতালৈ আহিছিল : অসমৰ অৰ্থনৈতিক উন্নয়ন আৰু দুৰ্নীতি-দমন। আজি সমগ্ৰ ভাৰত জুৰি যি অৰ্থনৈতিক সংকটে দেখা দিছে, তালৈ লক্ষ্য ৰাখি অৰ্থনৈতিক ক্ষেত্ৰত একো কৰিব নোৱাৰাৰ কাৰণে আমি বাৰু আপোনাক বৰ দোষ নিদিওঁ। কিন্তু দুৰ্নীতি-দমনৰ ক্ষেত্ৰত আপুনি নিজে কৰোঁ বুলিলে কৰিবপৰাখিনিও কৰিছেনে? তলত আপোনাক কেইটামান প্ৰশ্ন সুধিছোঁ। এই প্ৰশ্ন কেইটা আপুনি ক্ষমতাত থকালৈকে বা ক্ষমতা বিচাৰি থকালৈকে বাৰে বাৰে সুধি থাকিম।

১। ১৯৭২ চনত দিল্লীত অনুষ্ঠিত এচিয়া-৭২ মেলাৰ অসম-মণ্ডপৰ নিৰ্মাণৰ সম্পৰ্কত আপোনাৰ চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ দুৰ্নীতিৰ অভিযোগ উঠিছিল। আনকি আপোনাৰ নিজৰ বিৰুদ্ধেও পৰোক্ষভাৱে স্বজন-প্ৰীতিৰ ইংগিত আছিল। সেই অভিযোগৰ তদন্ত কৰিবলৈ আদেশ দিয়া হৈছে বুলি একাধিক বাৰ বিধান সভাত ঘোষণা কৰা হৈছিল। আজিলৈকে সেই তদন্তৰ ফলাফল ৰাইজে জানিবলৈ নাপালে কিয়?

২। ওপৰোক্ত অভিযোগৰ সম্পৰ্কত যিটো কোম্পানীৰ নাম ৰৰকৈ ওলাইছিল, সেই কোম্পানীক বোলে তাৰ পিচতো চৰকাৰী নিয়ম উলংঘা কৰি লাখ লাখ টকাৰ ঠিকা দিয়া হৈছে। আগন্তুক বিধান সভাৰ অধিবেশনত আপুনি এই অভিযোগ সম্পূৰ্ণ ভিত্তিহীন বুলি ঘোষণা কৰিবনে?

৩। এই কথা সঁচানে যে ১৯৭৩ চনত ঢাক-ঢোল বজাই যি ৰবি-শস্যৰ আঁচনি লোৱা হৈছিল, তাৰ কাৰণে ভাৰতৰ এটা বিখ্যাত কোম্পানীয়ে যোগান ধৰা সাৰত আধাতকৈয়ো বেছি আছিল ব্ৰহ্মপুত্ৰৰ বালি? লগতে এই কথাও সঁচানে যে কেন্দ্ৰীয় চোৰাংচোৱা বিভাগে এই কোম্পানীৰ বিৰুদ্ধে আৰম্ভ কৰা এটা গোচৰ উঠাই লোৱাবলৈ আপোনাৰ এজন মন্ত্ৰীয়ে চৰকাৰী খৰচত দিল্লীলৈ গৈ অশেষ চেষ্টা কৰি আছে? আপুনি এই অভিযোগ ভিত্তিহীন বুলি ক'লেই আমি মনে মনে থাকিম।

৪। যোৱা ২২ মে'ৰ কাকতত সাপ্তাহিক নীলাচলে খবৰ দিছিল চোৰাংচোৱা বিভাগে দাখিল কৰা মজুত-দাৰৰ তালিকাত মন্ত্ৰী আৰু এম-এল-এৰ নাম আছে। আপোনাৰ চৰকাৰে এতিয়ালৈকে এই বাতৰিৰ প্ৰতিবাদ কৰা নাই কিয়?

৫। যোৱা সাধাৰণ নিৰ্বাচনৰ আগে আগে আৰু তাৰ পিছতো আপোনাৰ দলৰ লগতে উজান উঠা যুৱক কংগ্ৰেছে জয়-ঢোল কোবাই ঘোষণা কৰিছিল যে কংগ্ৰেছী মন্ত্ৰী আৰু এম-এল-এ সকলে নিজ নিজ সম্পত্তিৰ তালিকা দাখিল কৰিব। কেতিয়া কৰিব? ১৯৭৭ চনৰ পিছত? কিন্তু তেতিয়ালৈকে তেওঁলোক থাকিব জানো?

৬। মীন-বিভাগৰ বিৰুদ্ধে বহুতো প্ৰামাণ্য অভিযোগ উত্থাপন কৰা হৈছিল। এই বিভাগে কেইবা লাখ টকা খৰচ কৰি অকাঠী-কাঠেৰে সজোৱা আৰু এতিয়া ব্ৰহ্মপুত্ৰৰ বালি-বোকাত জহি-খহি যোৱা মাছ-মৰা নাও দুখন আপোনাৰ চৰকাৰৰ চিৰ-স্থায়ী লজ্জা-চিহ্নত পৰিণত হৈছে। আজি দুবছৰৰ আগতেই বোলে তদন্তও আৰম্ভ হৈছিল। তাৰ খবৰ ল'বলৈ আপোনাৰ কেতিয়া সময় হ'ব?

৭। কংগ্ৰেছী এম পি শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিৰুদ্ধে প্ৰকাশন পৰিষদৰ নিচিনা এটা গণ্য-মান্য অনুষ্ঠানে

যি প্ৰামাণ্য অভিযোগ আনিছিল, আপুনি বোলে সেইবোৰো গাপ দি পেলাই থৈছে। চৰকাৰী বিষয়াই ৰাজহৰা ধন আত্মসাৎ কৰিলে পাপ হয়, কংগ্ৰেছী নেতাই সেই কাম কৰিলে পাপ নহয়, এই কথা কোনখন শাস্ত্ৰত লেখা আছে? বছৰৰ পিছত বছৰ ধৰি চাৰ্জচিট্ তৈয়াৰ কৰিব নোৱাৰা সত্ত্বেও আপুনি এক ডজন চৰকাৰী বিষয়াক বৰখাস্ত কৰি থৈছে, অথচ প্ৰকাশন পৰিষদৰ নিচিনা দায়িত্বশীল অনুষ্ঠান এটাই প্ৰামাণ্য অভিযোগ দিয়া সত্ত্বেও আপুনি এই কংগ্ৰেছী এম-পিৰ গোচৰটো তদন্তৰ কাৰণে পঠোৱা নাই। ই আপোনাৰ কেনে ধৰণৰ সততা? কেনে ধৰণৰ দুৰ্নীতি-বিৰোধী অভিযান? এই ৰেকৰ্ডেৰেই-আপুনি ১৯৭৬ চনৰ পাৰ্লিয়ামেণ্টৰ নিৰ্বাচনৰ মুখামুখি হ'ব নে?

৮। তেজপুৰৰ এজন গণ্য-মান্য কংগ্ৰেছী নেতাৰ বিৰুদ্ধে থকা ফৌজদাৰী গোচৰ চৰকাৰে বোলে গাপ দি পেলালে। এইবোৰ কথা কাগজত বহুবাৰ ওলাইছে। আপোনাৰ চৰকাৰে এইবোৰ খবৰ অস্বীকাৰ নকৰে, তদন্তও নকৰে। বোধহয় ভাবে — কুকুৰে কিমান ভুকে ভুকি থাকক। কিন্তু পাহৰি যায় কিয় যে কুকুৰে কেতিয়াবা কামোৰেও।

আমি আৰু খবৰ সংগ্ৰহ কৰিছোঁ। লাহে লাহে জনাম।

ইতি আপোনাৰ বিশ্বাসী —
"ৰাইজ"

হামিদা খাতুনলৈ এখন চিঠি

মৰমৰ হামিদা ভনিটি,

মই এই শিতানত মাজে-সময়ে দেশৰ প্ৰধান মন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ ডাঙৰ মানুহলৈ চিঠি লেখোঁ। যেতিয়াই ৰাইজৰ একোটা বিশেষ সমস্যা বিশেষ ভাষাৰে ক'ব লগা হয়, তেতিয়াই মই এই পন্থাৰ আশ্ৰয় লওঁ। কিন্তু আজি মই কোনো ডাঙৰ মানুহলৈ চিঠি লেখিবলৈ বহা নাই। মই আজি চিঠি লেখিবলৈ বহিছো তোমালৈ। কিন্তু তুমিনো কোন? কিয় মই তোমালৈ এই চিঠি লেখিব লগা হ'ল?

ধুবুৰী মহকুমাত দুৰ্ভিক্ষত শ শ লোকৰ মৃত্যু হোৱাৰ খবৰ পাই নিজ চকুৰে তাৰ পৰিস্থিতি চাবলৈ যোৱা ১৪ ছেপ্টেম্বৰ তাৰিখে মই ধুবুৰীলৈ গৈছিলো। মোৰ লগত আছিল আৰু তিনিজন বন্ধু : অসম বিধান সভাৰ কংগ্ৰেছী সদস্য ডাঃ ৰবীন গোস্বামী আৰু অতুল শইকীয়া আৰু দিল্লীৰ পেট্ৰিয়ট্ গোষ্ঠীৰ গুৱাহাটীত থকা প্ৰতিনিধি বৰুণ দাশগুপ্ত। ধুবুৰী চহৰত সোমোৱাৰ লগে লগে আমি পাইছিলো মৃত্যুৰ গোন্ধ। কিন্তু সেই গোন্ধ কেৱল অনাহাৰত মৰি ৰাস্তাৰ পৰি থকা গলিত মৃতদেহৰ দুৰ্গন্ধই নাছিল; তাতকৈ বেছি দুৰ্গন্ধ ওলাইছিল কেতবোৰ বিশেষ মানুহৰ বিবেক আৰু মানৱতাৰ অপমৃত্যুৰ পৰা। সেই দুৰ্গন্ধ চিৰকাল আমাৰ নাকত লাগি থাকিব। যি সময়ত ধুবুৰী চহৰৰ পৰা মাত্ৰ কেইমাইল মান দূৰত লাখ লাখ মানুহ ভোকৰ জীয়া জুইত তিলে তিলে দগ্ধ হৈছিল আৰু হাজাৰ হাজাৰ মানুহ মাখিৰ দৰে মৰিছিল, সেইসময়ত এই মানুহবোৰে মৃত্যুমুখী ভোকাতুৰ মানুহৰ মুখত এমুঠি অন্ন দিয়াৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰাৰ পৰিবৰ্তে ব্যস্ত হৈ পৰিছিল দুৰ্ভিক্ষ আৰু মৃত্যুৰ খবৰ মিছা বুলি প্ৰমাণ কৰাৰ চেষ্টাত। তেওঁলোকে আনকি চাৰিওফালে এই হুম্‌কিও প্ৰচাৰ কৰি ফুৰিছিল যে যিবোৰ মানুহে বাতৰি কাকতৰ মানুহক দুৰ্ভিক্ষ-জনিত মৃত্যুৰ খবৰ দিব, তেওঁলোকক 'মিছা' আইনত গ্ৰেপ্তাৰ কৰি জেললৈ পঠোৱা হ'ব। ধুবুৰীৰ অভূতপূৰ্ব দুৰ্ভিক্ষৰ খবৰ গোপন কৰিবলৈ চেষ্টা কৰা এইসকল আছিল এক বিশেষ ৰাজনৈতিক দলৰ লোক। নাম নক'লেও তুমি নিশ্চয় সেই কথা বুজিবা। ১৪ ছেপ্টেম্বৰৰ ৰাতি ৯ বজাত গোৱালপাৰা জিলাৰ উপায়ুক্তক লগ ধৰি মই এই কথা তেওঁক কওঁতে তেৰোঁ স্বীকাৰ কৰিছিল যে ইতিমধ্যে এনে আপত্তি তেৰোঁ পাইছে। আমাৰ দেশ পৰাধীন হৈ থাকোতে কোৱা হৈছিল যে বিদেশী শাসকৰ পৰা নিজৰ দেশক মুক্ত কৰাৰ বাহিৰে পৰাধীন জাতিৰ আন কোনো ৰাজনীতি নাই। আজি স্বাধীন ভাৰতবৰ্ষত এটা বিশেষ ৰাজনৈতিক দলক যেন-তেন-প্ৰকাৰেণ ক্ষমতাত অধিষ্ঠিত ৰখাৰ বাহিৰে এই স্বাধীন দেশৰো বোধহয় আন কোনো ৰাজনীতি নাই। অন্ততঃ ধুবুৰীলৈ গৈ মই এইবাৰ এই শিক্ষাই পাই আহিলোঁ।

সি যি কি নহওক, তুমিনো কোন এই কথাই এতিয়ালৈকে কোৱা হোৱা নাই। ধুবুৰী মহকুমাৰ হাজাৰ হাজাৰ অনাহাৰ-পীড়িত মানুহৰ কাৰণে ধৰমশালা, আদাবাৰী, কালাহাট আৰু গোলোকগঞ্জ আদি ঠাইত কিছুমান শিবিৰ পতা হৈছে। মই মোৰ বন্ধু তিনিজনৰ লগত সেই শিবিৰবোৰ চাবলৈ গৈছিলো। নৰক-সদৃশ এই শিবিৰবোৰৰ বৰ্ণনাৰ পুনৰাবৃত্তি মই ইয়াত নকৰো। আমাৰ কাকতৰ বিশেষ প্ৰতিনিধি ৰবিজিৎ চৌধুৰীয়ে ইতিমধ্যে সাপ্তাহিক নীলাচলত সেই শিবিৰবোৰ আৰু তাত আশ্ৰয় লোৱা মৃত্যুমুখী কংকাল-সাৰ মানুহবোৰৰ

জীৱন্ত চিত্ৰ অংকন কৰিছে। তেনে এটা শিবিৰতে মই তোমাক লগ পাইছিলো। বোকা-বমি আৰু বিষ্ঠাত লেটি লৈ পৰি থকা শ শ অৰ্ধ-নগ্ন অৰ্ধ-মৃত মানুহবোৰৰ গাৰ ওপৰেদি খোজ কাঢ়ি আহি মই যেতিয়া মোৰ বিবেকৰ অহংকাৰত গণ্ডা-টোপটোৰ দৰে ফুলি উঠি ধুবুৰীৰ পৰা ঘূৰি গৈ মই মোৰ বাতৰি কাকতত অগ্নি-ক্ষৰা ভাষাৰে এই নৰ-মেধ যজ্ঞৰ কি বৰ্ণনা দিম সেই কথাই ভাবিবলৈ আৰম্ভ কৰিছিলো। ঠিক সেই মুহূৰ্ততে তুমি মোৰ ভৰি স্পৰ্শ কৰি অৰ্ধ-স্ফুট মাতেৰে কৈছিল ঃ "বাবু, আপুনি নিশ্চয় চৰকাৰৰ মানুহ; আপুনি নিশ্চয় আমাৰ প্ৰাণ বচাবলৈ আহিছে?"

তুমি, হামিদা খাতুন সমাজবাদী ভাৰতবৰ্ষৰ নাগৰিক—১৪ ছেপ্টেম্বৰৰ গধূলি পৰত ধৰমশালা আশ্ৰয় শিবিৰৰ প্ৰাংগণত বোকাত লেটি লৈ তুমি পৰি আছিলা। মই তোমাক লগ পোৱাৰ ন দিনৰ আগতে তুমি অসম চৰকাৰৰ দয়াৰ দান হিচাবে পাইছিলা এমুঠি আটা। দুদিনতে সেই শুকান আটা গুৰি—যাৰ লগত এচিকটা নিমখ পৰ্য্যন্ত নাছিল—খাই শেষ কৰাৰ পিছত বাকী সাতদিন তুমি কেৱল কলগছৰ পচলা সিদ্ধ কৰি খাই আছিলা। ইতিমধ্যেই তোমাৰ দুয়োটা সন্তান—এটা ল'ৰা আৰু এজনী ছোৱালীৰ অনাহাৰত তিলে তিলে মৃত্যু হৈছিল। তোমাৰ স্বামীয়ে সন্তান দুটি মৰাৰ আগ মুহূৰ্ততে উন্মাদ হৈ তোমালোকক এৰি থৈ গুচি গ'ল। এই মৰ্মন্তুদ ট্ৰেজেদি বৰ্ণনা কৰিবৰ কাৰণে মই তীব্ৰ আবেগ-ময় আৰু নাটকীয় ভাষাৰ ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন, কাৰণ অসমীয়া গদ্যৰ ওপৰত সামান্য দখল আছে বুলি মোৰ কিছু খ্যাতি আছে। কিন্তু জীৱনৰ অবৰ্ণনীয় দুৰ্ভাগ্যৰ বৰ্ণনা কৰিবলৈ গৈ ভাষাৰ কাৰুকাৰ্য্যৰ পৰিচয় দিবলৈ যোৱাটো আজি মই পাপ বুলি বিবেচনা কৰিছো। লাভ-খোৰ ব্যৱসায়ীয়ে মানুহৰ খাদ্যত বিষ ভেজাল কৰি তিলে তিলে মানুহক হত্যা কৰে, আমি কথাৰ বেপাৰীবোৰে আমাৰ লেখাত ভেজাল আৱেগ মিহলি কৰি মানুহৰ বিবেকক হত্যা কৰো। সি যি কি নহওক, তুমি যেতিয়া মোৰ ভৰি স্পৰ্শ কৰি প্ৰাণ ৰক্ষাৰ কাৰণে সহায় প্ৰাৰ্থনা কৰিছিলা, লজ্জা নিবাৰণৰ কাৰণে তোমাৰ কঁকালত এবেগেত শতছিন্ন ময়লা কাপোৰৰ বাহিৰে তোমাৰ অস্থি-চৰ্ম-সাৰ পঁচিশ বছৰীয়া শৰীৰটো আছিল সম্পূৰ্ণ নগ্ন, অনাবৃত; কেৱল গধূলিৰ অন্ধকাৰ আৰু আসন্ন মৃত্যুৰ অন্ধকাৰে তাক লাহে লাহে ঢাকি আনিছিল। তোমাৰ প্ৰশ্ন শুনি মই তোমাৰ মুখলৈ চালোঁ। তোমাৰ মুখৰ বৰ্ণনা দিবলৈকো মই ইয়াত চেষ্টা নকৰোঁ। সুন্দৰীতমা হেলেনক দেখা মাত্ৰে ফাউষ্টে প্ৰশ্ন কৰিছিল ঃ "Was this the face that launched a thousand ships, And burnt the topless totwers of Ilium?"..... ভনিটি হামিদা, সম্পূৰ্ণ আন এটা অৰ্থত সেইদিনা ভোকৰ জুইয়ে পোৰা তোমাৰ মুখখন দেখিও মোৰ মনলৈ প্ৰায় তেনে এটা প্ৰশ্নই আহিছিল ঃ "এইখনেই নহয়নে সেইখন মুখ যাৰ কাৰণে এদিন কোটি কোটি মানুহৰ চকুত জ্বলি উঠিব ক্ষমাহীন ক্ৰোধৰ জুই, কোটি কোটি মানুহৰ হাতত নাচি উঠিব শানিত অস্ত্ৰ আৰু নিষ্ঠুৰ-নিৰ্বিবেকী শাসক-শোষকৰ ক্ষমতাৰ সুদৃঢ় দুৰ্গক ভাঙি-ছিঙি মৰিমূৰ কৰি ধূলিত মিহলি কৰি দিব?"

আমি ধুবুৰীলৈ যোৱাৰ মাত্ৰ দুদিনৰ আগতে মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহ ধুবুৰীলৈ গৈছিল। তোমালোকক চাবলৈ যাব লাগে বুলি বহুতে তেওঁক অনুৰোধ কৰিছিল। কিন্তু তেওঁ নগ'ল। তেওঁ অসমৰ মুখ্যমন্ত্ৰী, তেওঁৰ কান্ধত কিমান হাজাৰটা কামৰ দায়িত্ব তোমালোকৰ নিচিনা ক্ষুদ্ৰাতিক্ষুদ্ৰ পশু-তুল্য মানুহৰ মৃত্যুৰ দৃশ্য চাই ফুৰিলে তেওঁৰ চৰকাৰ চলিব কেনেকৈ? অৱশ্যে এনেও হ'ব পাৰে যে তোমাৰ স্বামীয়ে যেনেকৈ নিজৰ ল'ৰা-তিৰোতাৰ মৰণ-যন্ত্ৰণা চাই থাকিব নোৱাৰি উন্মাদ হৈ পলাই গুচি গ'ল স্পৰ্শকাতৰ আৰু হৃদয়-বান শৰৎ সিংহয়ো তোমালোকৰ নৰক-যন্ত্ৰণা চাবলৈ সাহস কৰিব নোৱাৰি দূৰৰপৰাই গুচি আহিল। কিন্তু তেওঁ বোলে কথা দি আহিছে যে অহা ৪ অক্টোবৰ তাৰিখে অৰ্থাৎ বিধান সভা শেষ হ'বৰ দিনা তেওঁ দুৰ্ভিক্ষ-

পীড়িত মানুহবোৰৰ শিবিৰবোৰলৈ গৈ নিজে তাত থাকিব। ভনিটি হামিদা, দুখৰ কথা কোৱা এয়েই যে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ শ্ৰীমুখ দৰ্শন কৰিবলৈ তুমি আৰু সেই দিনলৈকে জীয়াই নাথাকিবা। তাৰ বহু আগতেই দুৰ্ভিক্ষৰ দেশৰ অভুক্ত শিয়াল-কুকুৰে তোমাৰ মৰা শ চিন-মোকাম বাকী নৰখাকৈ খাই শেষ কৰি পেলাব। কেৱল অহা ৪ অক্টোবৰতেই নহয়, তাৰ পাছতো আৰু বহুবাৰ সিংহ ধুবুৰী মহকুমালৈ যাব; যাব ১৯৭৬ চনৰ লোকসভা নিৰ্বাচন আৰু ১৯৭৭ চনৰ বিধান সভা নিৰ্বাচনৰ সময়ত ৰাইজৰ ভোট খুজিবলৈ। হামিদা, তুমি এক প্ৰকাৰে ভাগ্যৱতী, তুমি সেই দিনলৈকে জীয়াই নাথাকিবা। দুৰ্ভিক্ষত হাজাৰ হাজাৰ মানুহ মৰি-হুজি শেষ হোৱাৰ পিছতো যিসকল জীয়াই থাকিব, তেওঁলোকে শৰৎ সিংহক ফুলৰ মালা পিন্ধাই টেঁটুফালি জয়-ধ্বনি দিব – 'জয় সমাজবাদৰ জয়'। .... জীৱনক যিটো বস্তুৱে সহনীয় কৰি ৰাখে, সেইটো হৈছে বহুতো কথা পাহৰি যাব পৰাৰ ক্ষমতা।

১৫ ছেপ্টেম্বৰ তাৰিখে মই ধুবুৰী এৰিলোঁ। ১৬ তাৰিখ পৰা বিধান সভাৰ অধিবেশন আৰম্ভ হ'ল। মই সাধাৰণতে বিধান সভালৈ নাযাওঁ। এইবাৰ নানা কাম-কাজ খতি কৰিও একাদিক্ৰমে চাৰিদিন গৈছিলোঁ। ভাবিছিলোঁ—ধৰমশালা নৰকসদৃশ আশ্ৰয় শিবিৰত লগ পাই অহা হামিদা খাতুনৰ কোটৰ-গত চকুত যিটো প্ৰশ্ন পঢ়ি আহিছিলোঁ, ৰাইজৰ হৰ্তা-কৰ্তা-বিধাতা বিধান সভাৰ আলোচনাত তাৰ কিবা এটা উত্তৰ পাম। সকলোৰে মনত একেটাই প্ৰশ্ন আছিল ঃ অসমৰ মুখ্যমন্ত্ৰীয়ে এই দুৰ্ভিক্ষৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি ল'বনে? তেওঁ কি ক'লে জানা? নিপুণ অভিনেতাৰ দৰে কথাৰ অগ্নি স্ফুলিংগ ফুটাই তেওঁ ঘোষণা কৰিলে যে খাবলৈ নাপাই মানুহ মৰিছে সঁচা, ৰাস্তাত পৰি থকা মৃতদেহ শিয়াল-কুকুৰে ছিন্ন-ভিন্ন কৰি খাইছে সঁচা, কিন্তু তাৰ বাবে চৰকাৰ দায়ী নহয়। তাৰ বাবে দায়ী আমাৰ শোষণ ভিত্তিক অমানবীয় সমাজ সম্পূৰ্ণ সঁচা কথা। কিন্তু হামিদা খাতুন, তোমাৰ হৈ শৰৎ সিংহক মই এটাই প্ৰশ্ন কৰিব খুজিছোঁ। সমাজৰ এটা সাধাৰণ দায়িত্ব নিশ্চয় আছে, কিন্তু চৰকাৰৰ এটা বিশেষ দায়িত্ব নাইনে? এই সমাজ-ব্যৱস্থাৰ পৰিবৰ্তন ঘটাবলৈ কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়েই তেওঁ অসমৰ মুখ্যমন্ত্ৰী হোৱা নাছিলনে? গৌৰীশংকৰ ভট্টাচাৰ্য্য, দুলাল বৰুৱা, ৰেণুকা দেৱী বৰকটকী, গিয়াচুদ্দিন আহমদ আদি সদস্যসকলৰ মৰ্ম-ভেদী প্ৰশ্নবোৰৰ তেওঁ কিবা সদুত্তৰ দিব পাৰিলেনে? দ্বিতীয়তে গুৱাহাটীৰ ৰাজপথত যদি দায়িত্বহীন চিটি বাছৰ ড্ৰাইভাৰে তেওঁৰ নাতিনীয়েকটোক গাড়ীৰে চেপা মাৰি আধা মৰা কৰি থৈ যায়, তেন্তে তেওঁৰ প্ৰথম কৰ্তব্য কি হ'ব? গুৱাহাটীৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ নানাবিধ ত্ৰুটি-বিচ্যুতিৰ সমালোচনা কৰি এটা জ্বালাময়ী ভাষণ দিয়েই তেওঁ নিজৰ কৰ্তব্য শেষ কৰিব, নে প্ৰথমতে তেওঁ নিজৰ আহত নাতিনীয়েকক হাস্পতাললৈ নি চিকিৎসাৰ ব্যৱস্থা কৰিব?

বিধান সভাৰ প্ৰত্যেকজন কংগ্ৰেছী সদস্যই বিবেকৰ অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত হৈছে। বিধান সভাৰ বাহিৰত প্ৰত্যেকজন কংগ্ৰেছী সদস্যই কয় যে এই দুৰ্ভিক্ষ চৰকাৰৰ সৃষ্টি, এই দুৰ্ভিক্ষত হাজাৰ হাজাৰ মানুহ মৰিছে। কিন্তু বিধান সভাৰ মজিয়াত সেই কথা দ্ব্যৰ্থহীন ভাষাৰে ক'বলৈ তেওঁলোকৰ অধিকাৰ নাই। শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীয়ে এটা মৰ্মস্পৰ্শী ভাষণত ইমানখিনি পৰ্য্যন্ত ক'লে যে ধুবুৰী মহকুমাৰ দুজন কংগ্ৰেছী সদস্যই দুৰ্ভিক্ষত মানুহ মৰাৰ সত্যতা স্বীকাৰ কৰিব লগা হোৱাৰ ভয়তে সেইদিনা বিধান সভাত উপস্থিতেই নাথাকিল। ৰাইজৰ চৰম বিপদৰ সময়ত ৰাইজৰ হৈ সঁচা কথা ক'বলৈ ৰাইজৰ প্ৰতিনিধি যদি বিধান সভাত উপস্থিত নাথাকে, তেন্তে সেইবোৰ মানুহৰ নিজকে ৰাইজৰ প্ৰতিনিধি বুলি ক'বলৈ কিবা নৈতিক অধিকাৰ আছেনে? সেইদিনা বিধান সভাত আৰু এটা আচৰিত কথা লক্ষ্য কৰিলোঁ। গিয়াচুদ্দিন

আহমদে যেতিয়া দুৰ্ভিক্ষ-জনিত গণ-মৃত্যুৰ লোমহৰ্ষক বৰ্ণনা দি আছিল, তেতিয়া মই প্ৰত্যেকজন সদস্যৰ মুখৰ প্ৰতিক্ৰিয়ালৈ অতি সূক্ষ্মভাৱে লক্ষ্য কৰি আছিলোঁ। দুয়োপক্ষৰ বহুতো সদস্যৰ মুখত ফুটি উঠিছিল গভীৰ বিষাদ, যন্ত্ৰণা, বিবেকৰ দ্বন্দ্ব। কিন্তু তাৰ ভিতৰতে দুজনমান ডেকা কংগ্ৰেছী সদস্যক দেখিলোঁ— গিয়াচুদ্দিন আহমদ আৰু ৰেণুকা দেৱী বৰকটকীয়ে ধুবুৰীৰ দুৰ্গত মানুহৰ হৃদয়-দ্ৰাবী বৰ্ণনা দি থাকোতে সকলো সময়তে তেওঁলোকৰ মুখত লাগি আছিল এটা অদ্ভুৎ স্ফূৰ্তিৰ হাঁহি। তেওঁলোকৰ সেই হাঁহিয়ে মোৰ বুকুত ডাঙৰ ভয় সুমুৱাই দিছিল। এইবোৰ মানুহেই আমাৰ দেশৰ নতুন যৌৱন, আমাৰ ভৱিষ্যতৰ নেতা, আমাৰ শাসক দলৰ ক্ষমতাৰ দুৰ্গত লাইখুঁটা।

হামিদা, মোৰ এই চিঠিখন পঢ়িবলৈ তুমি জীয়াই নাথাকিবা। ইতিমধ্যেই তোমাৰ অনাহাৰ-জীৰ্ণ শৰীৰৰ সামান্য অৱশেষখিনিয়ে কাউৰী-শগুনৰ পেটত ঠাই পাইছে। বিধান সভাৰ বহুতো সদস্যই এইবাৰ ঘোষণা কৰিছে যে এই বিধান সভা বৰ্তি থাকিবৰ একো নৈতিক অধিকাৰ নাই। এই বিষয়ে মই একো মন্তব্য নিদিওঁ। তুমি যদিও ইতিমধ্যে মৰি ভূত হৈ গ'লা, তথাপি তোমাকেই মই এই বিধান সভাৰ, এই চৰকাৰৰ, এই সমাজ-ব্যৱস্থাৰ বিচাৰক পাতিছোঁ। লগতে মই এই কথাও তোমাক কওঁ, শৰৎ সিংহ আৰু তেওঁৰ সহকৰ্মীসকলক সমালোচনা কৰিবলৈ মোৰো একো নৈতিক অধিকাৰ নাই। শৰৎ সিংহ যি পাপত পাপী, মইয়ো ঠিক সেই একে পাপত পাপী। ভাৰতবৰ্ষৰ কোটি কোটি মানুহক আমি প্ৰতাৰণা কৰিছোঁ, শোষণ কৰিছোঁ, তিলে তিলে আমি সিহঁতক হত্যা কৰিছোঁ। আমি কেৱল তোমালোককেই প্ৰতাৰণা কৰা নাই। নিজকো প্ৰতাৰণা কৰিছোঁ। আমাৰ এই পাপৰ প্ৰায়শ্চিত্ত কেতিয়াও নহ'বনে? কেতিয়াও আমাৰ ওপৰত নামি নাহিবনে তোমাৰ অভিশাপৰ প্ৰচণ্ড আঘাত? আহিব, নিশ্চয় এদিন সি আহিব। ৰবীন্দ্ৰনাথৰ ভাষাত ক'বলৈ গ'লে মানুহৰ ভৱিষ্যতৰ ওপৰত বিশ্বাস হেৰুওৱাটো এটা পাপ। হামিদা, তোমাৰ ওচৰত মোৰ কেৱল এটাই অনুৰোধ—সেই হিচাপ-নিকাচৰ দিন, সেই বিচাৰৰ দিন, সেই প্ৰায়শ্চিত্তৰ দিন যাতে সোনকালে আহে—তুমি যেন তাৰেই ব্যৱস্থা কৰা। তুমি যেন এই কথা ফাঁকি সদায় মনত ৰাখা ঃ

The tired hack, the cynic politician
Can dim but can not make us lose the goal,
Time moves with measured step upon her mission
Knowing the slow mutations of the soul. ইতি—

হোমেন বৰগোহাঞি

চৰিত্ৰ-হনন?

অসম বিধান সভাৰ চলিত অধিবেশনত গৌৰী শংকৰ ভট্টাচাৰ্য্য, দুলাল বৰুৱা, শ্ৰীসোণেশ্বৰ বৰা আদি বিৰোধী পক্ষৰ সদস্যসকলে মন্ত্ৰীসভাৰ কোনো কোনো সদস্যৰ বিৰুদ্ধে চাঞ্চল্যকৰ দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে। অনাস্থা প্ৰস্তাৱৰ ওপৰত চলা বিতৰ্কৰ উত্তৰ দিবলৈ উঠি মুখ্যমন্ত্ৰীয়ে অভিযোগবোৰ খণ্ডন কৰিবলৈ চেষ্টা কৰে আৰু লগতে তেওঁ কয় যে বিৰোধী পক্ষৰ সদস্যসকলে কেতবোৰ ভিত্তিহীন আৰু অপ্ৰমাণিত অভিযোগ উত্থাপন কৰি মন্ত্ৰীসকলৰ চৰিত্ৰ হনন কৰিবলৈ চেষ্টা কৰিছে। বিৰোধী পক্ষৰ কোনো কোনো সদস্যই তেতিয়া বহি থকা অৱস্থাতে মাত লগাইছিল যে চৰিত্ৰ থাকিলেহে তাত হনন কৰিব পাৰি; যাৰ চৰিত্ৰই নাই তেওঁৰ চৰিত্ৰ হনন কৰা যায় কেনেকৈ?

ক্ষমতাৰ ৰাজনীতিৰ লগত দুৰ্নীতিৰ এনে এটা অচ্ছেদ্য সম্পৰ্ক আছে আৰু ক্ষমতাত অধিষ্ঠিত থকা কোনো ৰাজনীতিকেই দুৰ্নীতিৰ অভিযোগৰ পৰা মুক্ত হৈ থাকিব নোৱাৰে। প্ৰত্যেকজন ৰাজনীতিকেই ইয়াক এটা Occupational hazard বুলি ধৰিব লাগিব। অভিযোগবোৰ কেতিয়াবা সঁচা হয়, কেতিয়াবা হয়তো মিছা হয়। কিন্তু অভিযোগ যেতিয়া উঠে তেতিয়া অভিযুক্ত মন্ত্ৰীজনৰ কৰ্তব্য কি? ৰাইজৰ সন্দেহ আৰু ঘৃণাৰ বিষ-দৃষ্টিৰ পৰা কেনেকৈ তেওঁ নিজকে ৰক্ষা কৰিব পাৰে? অভিযোগ যাতে কেতিয়াও উঠিব নোৱাৰে বা উঠিলেও যাতে তেওঁ বুকু ফিন্দাই নিজৰ সততা সগৰ্বে প্ৰমাণিত কৰিব পাৰে—তাৰ কাৰণে তেওঁ কি ব্যৱস্থা ল'ব?

বিখ্যাত ফৰাচী ৰাষ্ট্ৰনেতা ক্লিমাচোঁৰ বিৰুদ্ধে, এবাৰ গুৰুতৰ দুৰ্নীতিৰ অভিযোগ উঠিছিল। ফ্ৰান্সত তেওঁৰ শত্ৰুৰ সীমা-সংখ্যা নাছিল। সুযোগ পালেই তেওঁৰ ৰাজনৈতিক কেৰিয়াৰ ধ্বংস কৰি দিবৰ কাৰণে এই লোকসকলে ছেগ চাই আছিল। অৱশেষত এনে এটা সুযোগ আহিল। পানামা প্ৰণালীৰ খনন কাৰ্য্যৰ প্ৰকল্পক কেন্দ্ৰ কৰি ফ্ৰান্সত দুৰ্নীতিৰ এটা বিৰাট কেলেংকাৰীৰ সৃষ্টি হ'ল। কৰ্ণেলিয়াচ হাৰ্জ আৰু বেৰন ৰেইনাক নামৰ দুজন কুখ্যাত লোকৰ বিৰুদ্ধে গুৰুতৰ দুৰ্নীতিৰ অভিযোগ প্ৰমাণিত হ'ল। লগতে এই কথাও প্ৰমাণিত হ'ল যে দুয়োজন মানুহেই আছিল ক্লিমাচোঁৰ ঘনিষ্ঠ বন্ধু। ক্লিমাচোঁৰ এইবাৰ সাৰণ ক'ত? ফ্ৰান্সৰ এচেমব্লিত Deroulede নামৰ এজন সদস্যই থিয় হৈ ঘোষণা কৰিলে যে এজন অসাধাৰণ ক্ষমতাশালী আৰু প্ৰভাৱশালী মানুহৰ সহায়ৰ বলতে কৰ্ণেলিয়াচ হাৰ্জৰ নিচিনা এজন অসৎ লোকেও ফ্ৰান্সত আজি এনে মৰ্যাদা আৰু ক্ষমতাৰ স্থানলৈ উঠিব পাৰিছে। নাটকীয় ভংগীৰে তেওঁ ঘোষণা কৰিলে : "এই অক্লান্ত অনুগত আৰু বন্ধু-বৎসল মধ্যস্থতাকাৰী মানুহজনক আপোনালোক সকলোৱে চিনি পায়। তেওঁক অতিশয় কৰ্ম-তৎপৰ অতিশয় বিপজ্জনক। তেওঁৰ নাম দেশৰ সকলো মানুহৰ মুখে মুখে; কিন্তু এই এচেমব্লিত আপোনালোকৰ মাজত এনে এজনো মানুহ নাই—যিজনে তেওঁৰ নাম উচ্চাৰণ কৰিবলৈ সাহস কৰিব পাৰে। কাৰণ তেওঁৰ তিনিটা বস্তুক আপোনাসকলে ভয় কৰে : তেওঁৰ তৰোৱাল, তেওঁৰ পিস্তল আৰু তেওঁৰ জিভা। এই তিনিটা বস্তুৰ এটালৈকো মই পৰোৱাই নকৰোঁ, আৰু সেই মানুহজনৰ নামটো মই ঘোষণা কৰিম। তেওঁ হ'ল মচিয়েঁ ক্লিমাচোঁ।"

এই ঘটনাটোৰ বিষয়ে আলোচনা কৰি উইনষ্টন্ চাৰ্চিলে তেওঁৰ Great Contemporaries নামৰ গ্ৰন্থত লেখিছে ঃ পৃথিবীৰ কোনো দেশেই এনে ঘটনাৰ পৰা মুক্ত নহয়। মিতব্যয়ী সযত্ন সঞ্চিত ধন খোলাকটিৰ দৰে খৰচ কৰা হয়, ৰাজহুৱা ধন চুৰি কৰা হয় বা নিলৰ্জ্জভাৱে তাৰ অপ-ব্যৱহাৰ কৰা হয়। বিধায়ক বা আনকি মন্ত্ৰীসকলেও ভেটি খায়, আনৰ পৰা উপকাৰ গ্ৰহণ কৰে, শক্তিশালী ন্যস্ত স্বাৰ্থৰ লগত আপোচ কৰি তেওঁলোকৰ সেৱা দাসত পৰিণত হয়। এই কথাও ধৰি ল'ব পাৰি বা সন্দেহ কৰিব পাৰি যে ভোট দিবৰ সময়ত তেওঁলোক দুৰ্নীতিৰ দ্বাৰা প্ৰভাবিত হয়। এইসকল প্ৰকৃততে অপৰাধী লোকৰ মাজত নিশ্চয় এনেকুৱা মানুহো বহুত থাকে, যিসকল নিজে অপৰাধী নহয়, কিন্তু বিবেচনাহীন আচৰণ বা অবাঞ্ছনীয় সংগদোষত যিসকলে নিজকে সন্দেহৰ পাত্ৰ কৰি তোলে। এইসকল অপৰাধীৰ মাজত এনে মানুহো থাকে যিসকলৰ নিৰ্দোষ কাৰ্য্য-কলাপ আৰু বন্ধুত্বয়ো তেওঁলোকক অপৰাধীৰ শ্ৰেণীভুক্ত কৰে। এবাৰ যদি কেনেবাকৈ জনৰৱৰ হৈ-চৈ আৰম্ভ হয়, এবাৰ যদি কু-অভিসন্ধিৰ সন্দেহ সৃষ্টি হয়, এবাৰ যদি সন্দেহজনক নামৰ তালিকা প্ৰচাৰিত হয়, এবাৰ যদি সন্দেহৰ বিষবাষ্প চাৰিওফালে বিয়পি পৰে, তেতিয়াহ'লে সম্পূৰ্ণৰূপে বৈধ কাৰ্য্যকলাপ আৰু সম্পৰ্কও ৰাজহুৱা ব্যক্তিৰ কাৰণে অতিশয় বিপজ্জনক হৈ উঠিব পাৰে। কিন্তু যিসকল লোকৰ নিজৰ সততাৰ ওপৰত সম্পূৰ্ণ আত্মবিশ্বাস আছে, তেওঁলোকৰ কাৰণে আত্মৰক্ষাৰ এটা সুচিন্তিত পথ সদায় মুকলি হৈ থাকে। সেইটো হৈছে এক অনাড়ম্বৰ-সৰল জীৱন-যাত্ৰাৰ কৃচ্ছ-সাধনা; সেইটো হৈছে সমগ্ৰ পৃথিবীৰ আগত নিজৰ ঘৰুৱা আয়-ব্যয়ৰ বিৱৰণ ডাঙি ধৰিব পৰাৰ সাহস; সেইটো হৈছে নিজৰ অৰ্থোপাৰ্জনৰ প্ৰত্যেকটো উৎস সকলোৰে আগত প্ৰকাশ কৰিব পৰাৰ সগৰ্ব মানসিক প্ৰস্তুতি। আত্মৰক্ষাৰ এই উপায় অৱলম্বন কৰাৰ সামৰ্থ আছিল ক্লিমাচোঁৰ। নিজৰ সমষ্টিৰ ভোটদাতাসকলক তেওঁ কৈছিল ঃ "মোৰ জীৱনটো এখন খোলা কিতাপ। মোৰ একমাত্ৰ বিলাসিতা হ'ল এই যে মোৰ এখন ঘোঁৰা গাড়ী আছে—যিখনৰ ঘোঁৰা কেইটাৰ ভৰণ-পোষণৰ কাৰণে প্ৰতিদিনে মোৰ পাঁচ ফ্ৰাংককৈ খৰচ পৰে; ইয়াৰ বাহিৰেও এখন মৃগয়া-ভূমিত মোৰ পাঁচশ ফ্ৰাংকৰ এটা অংশ আছে। ইয়াৰ বাহিৰে মোৰ আন কিবা খৰচৰ ৰাস্তা বা বিলাসিতা আছে বুলি প্ৰমাণ কৰিবলৈ মই যিকোনো মানুহকেই প্ৰত্যাহ্বান জনাব পাৰোঁ।" ক্লিমাচোঁৰ জীৱন ইতিহাস যিবিলাক লোকে জানে, তেওঁলোকে এই কথাও জানে যে চক্ৰবেহুত বন্দী অভিমন্যুৰ দৰে দুৰ্দ্ধৰ্ষ শত্ৰুৰ দ্বাৰা পৰিবেষ্টিত হৈয়ো আৰু ভয়ংকৰ দুৰ্নীতিৰ অভিযোগত অভিযুক্ত হৈয়ো তেওঁ অৱশেষত এই চক্ৰবেহুৰ পৰা সসন্মানে উদ্ধাৰ পাব পাৰিছিল,—কাৰণ তেওঁৰ 'জীৱনটো আছিল এখন খোলা কিতাপ', তেওঁৰ আছিল নিজৰ অৰ্থাগমৰ সকলো উৎস আৰু সম্পত্তিৰ সকলো হিচাপ ৰাজহুৱাভাৱে প্ৰকাশ কৰিব পৰাৰ নৈতিক সাহস, তেওঁৰ আছিল নিজৰ জীৱনত বিন্দুমাত্ৰ বিলাসিতা বা ব্যয়-বাহুল্য আৱিষ্কাৰ কৰিবলৈ সমগ্ৰ জগতকে প্ৰত্যাহ্বান জনাব পৰাৰ সামৰ্থ্য।

কিন্তু হায়, আমাৰ দেশত বা আমাৰ ৰাজ্যত মানুহক দেখুৱাই সৰ্বত্যাগী সন্ন্যাসীৰ জীৱন যাপন কৰা নেতাজনেও বুকুত হাত দি ক'ব পাৰেনে যে তেওঁৰ জীৱনটো এখন খোলা কিতাপ? তেওঁ ক'ব পাৰেনে যে তেওঁৰ অৰ্থাগমৰ সকলো উৎস আৰু আয়-ব্যয় আৰু সম্পত্তিৰ সকলো হিচাপ ৰাজহুৱাভাৱে দাখিল কৰিবলৈ তেওঁৰ নৈতিক সাহস আছে? বিধান সভাৰ দুৰ্নীতিৰ অভিযোগৰ মুখামুখি হৈ কোনো মন্ত্ৰীয়ে এনে নিপুণ অভিনয় কৰে যেন তেওঁৰ নিচিনা সাধু মহাত্মাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আদি চৰিত্ৰ-হননৰ চেষ্টা

কৰাতকৈ ডাঙৰ মহাপাপ পৃথিৱীত আন একোৱেই নাই। কিন্তু টেবুল ফাটি যোৱাকৈ ঢকা মাৰি উচ্চস্বৰে আত্মপক্ষ সমৰ্থন কৰাতকৈ তেওঁ কিয় ক্ৰিমাচোঁৰ দৰে নিজৰ সম্পত্তিৰ হিচাপ ৰাজহুৱাভাৱে প্ৰকাশ কৰিব নোৱাৰে? কিয় তেওঁ ক'ব নোৱাৰে যে তেওঁৰ জীৱনটো ক্ৰিমাচোঁৰ দৰেই এখন খোলা কিতাপ? সিহঁত মন্ত্ৰীসভা গঠিত হোৱা আজি আঢ়ৈ বছৰ পাৰ হৈ গ'ল। নিজৰ সম্পত্তিৰ হিচাপ ৰাজহুৱাভাৱে দাখিল কৰিবলৈ তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ আছিল। কিন্তু আজি আঢ়ৈ বছৰে আমি আমাৰ কাকতৰ পাতত বাৰে বাৰে আবেদন জনোৱা সত্বেও মুখ্যমন্ত্ৰীকে ধৰি কোনো এজন মন্ত্ৰীয়েই নিজৰ সম্পত্তিৰ হিচাপ প্ৰকাশ কৰা নাই। এই ৰহস্যময় নীৰৱতাৰ দ্বাৰা তেওঁলোক কি প্ৰমাণ কৰিব খুজিছে?

ৰাইজৰ ওচৰতো আমাৰ এটা নিবেদন আছে। দুৰ্নীতিৰ বিৰুদ্ধে তেওঁলোকৰ অভিযোগৰ অন্ত নাই। কিন্তু কামৰ বেলিকা তেওঁলোকে একো নকৰে। আমি বিচাৰোঁ যে অহা নিৰ্বাচনত যিসকল লোক প্ৰাৰ্থী হ'ব, তেওঁলোকে নিজৰ উপাৰ্জন আৰু সম্পত্তিৰ বিশ্বাসযোগ্য হিচাপ দাখিল কৰিব নোৱাৰালৈকে তেওঁলোকক যেন কোনেও ভোট নিদিয়ে। যোৱা আঢ়ৈ বছৰত ৰাইজৰ কিবা আৰ্থিক উন্নতি হওক নহওক, মাহে ৪৫০ টকা দৰমহা পোৱা ষাঠিজন এম-এল-এই মটৰ গাড়ী কিনিছে বুলি বাতৰি কাকতত অভিযোগ উঠিছে। সম্পূৰ্ণ নিৰ্ভৰযোগ্য সূত্ৰৰপৰা আমি এই কথাও জানো যে তেনেকুৱা ৪৬ জন এম-এল-এৰ বিৰুদ্ধে কেন্দ্ৰীয় চোৰাংচোৱা সন্থাই (C.I.B.) সম্পত্তিৰ গোপন তদন্ত চলাই আছে। কিমধিকমিতি।

বাতৰি কাকত নপঢ়িবা

টমাচ্ জেফাৰচনে কৈছিল যে, বাতৰি কাকতবিহীন চৰকাৰ আৰু চৰকাৰ-বিহীন বাতৰি কাকত—এই দুয়োটাৰ ভিতৰত যদি তেওঁ যি কোনো এটাক বাছি ল'ব লগা হয়, তেন্তে তেওঁ দ্বিতীয়টোকে বাছি ল'ব, অৰ্থাৎ চৰকাৰ নাথাকিলেও ক্ষতি নাই, কিন্তু বাতৰি কাকত থাকিবই লাগিব। নেপোলিয়নে কৈছিল ঃ "এহেজাৰ বেয়নেটতকৈ চাৰিখন বৈৰী বাতৰি কাকতক মই বেছি ভয় কৰোঁ।" কিন্তু এইবোৰ হ'ল মান্ধাতাকলীয়া কথা। সেই তেতিয়াৰপৰা দিন-কাল বহুতো সলনি হ'ল। পৃথিবীখন উন্নতিৰ বাটত বহুত বেছি আগুৱাই গ'ল। অলপতে অসম তথা ভাৰতৰ এজন মহা প্ৰতাপশালী নেতাই তেওঁৰ দলৰ সদস্যসকলক উপদেশ দি কৈছিল – "বাতৰি কাকত নপঢ়িবা। বাতৰি কাকতত মিছা কথা আৰু অতিৰঞ্জিত কথাৰ বাহিৰে আন একো নাথাকে। বাতৰি কাকতত কোনে কি লিখে তালৈ পৰোৱাই নকৰিবা।"

নেতাগৰাকীৰ ভাষণত যিখিনি কথা অনুক্ত থাকিল গ'ল—সেইখিনি হ'ল এইয়ে যে বাতৰি কাকত নপঢ়িবা, কিন্তু নেতাৰ বক্তৃতা আৰু ধমক বেদ-বাক্য শ্ৰৱণ কৰাৰ দৰে ভক্তি-সহকাৰে শ্ৰৱণ কৰিবা। সাংবাদিকে অশেষ দৈহিক কষ্ট স্বীকাৰ কৰিও নিজৰ চকুৰে আৰু কাণেৰে দেখি-শুনি অহা সকলো কথা মিছা; কিন্তু নেতাই ঘটনাস্থলীৰপৰা হাজাৰ মাইল দূৰত থাকি ভোজসভাত কূৰ্মা-কালিয়া গো-গ্ৰাসে গিলি থাকিও যিখিনি কথা জানে বা দুঘণ্টা মানৰ কাৰণে হেলিকপ্তাৰত আকাশ মাৰ্গত বিচৰণ কৰি বিহঙ্গ দৃষ্টিৰে যি দেখে--কেৱল সেইখিনিয়েই নিৰ্ভেজাল সঁচা। তদুপৰি সাংবাদিকসকল হ'ল অতিশয় মতলববাজ্ স্বাৰ্থপৰ লোক; অতিৰঞ্জিত চাঞ্চল্যকৰ কথা লিখি বাতৰি কাকতৰ প্ৰচাৰ বৃদ্ধি কৰাৰ বাহিৰে সিহঁতৰ আন কোনো সৎ উদ্দেশ্য নাই। কিন্তু ৰাজনৈতিক নেতাসকল হ'ল পৰ-হিত-ব্ৰত, নিঃস্বাৰ্থ, ধৰ্ম-যুধিষ্ঠিৰ। যেন-তেন-প্ৰকাৰেণ ক্ষমতাত অধিষ্ঠিত থাকি নবাব-গিৰি কৰাৰ বাহিৰে তেওঁলোকৰ আন একো অসৎ উদ্দেশ্য নাই। অৱশ্যে কোনো বাতৰি কাকতে যদি সেই নেতাসকলক অহাত সহায় কৰে, তেন্তে বাতৰি কাকতৰ অফিচলৈ বা মালিকৰ ঘৰলৈ গৈ ঘণ্টাৰ পিছত ঘণ্টা ধৰি চাহ-তামোলৰ শৰাধ কৰি বাতৰি কাকতৰ মালিক বা সম্পাদকক তোষামোদ কৰাত দোষণীয় একো নাই; কিন্তু যি মুহূৰ্ততে সেই বাতৰি কাকতে নবাবৰ তখ্তখ্ কণ্টক-শয্যাত পৰিণত কৰি তোলে, সেই মুহূৰ্ততে তেনে সাংবাদিকৰ সংগ বিষবৎ পৰিত্যজ্য।

বাতৰি কাকত নপঢ়িবা—আৰু অন্ততঃ সেইখিনি সময়ত বাতৰি কাকতত অনাটন, অনাহাৰ আৰু মৃত্যুৰ বাহিৰে আন একো খবৰ নাই। যিসকল লোকে ৰাজনীতি কৰে, সমাজবাদৰ বুনিয়াদ নিৰ্মাণ কৰে, অহোৰাত্ৰ ক্ষমতাৰ জপ-মন্ত্ৰ কীৰ্ত্তন কৰে, তেওঁলোক সদায় নিষ্ঠুৰ বাস্তৱতাৰ স্পৰ্শৰ পৰা শতযোজন দূৰত থাকি *Gilded pagoda-ত নিৰ্বিঘ্নে শান্তিৰ মাজত বাস কৰাটো একান্ত প্ৰয়োজনীয়।* কিন্তু বাতৰি কাকত পঢ়িলে শান্তিত থকাৰ উপায় নাই। ভাৰতবৰ্ষত মানুহ সদায় অনাহাৰত মৰিয়েই থাকে। যোৱা সাতাইশ বছৰ ধৰি নেতাসকলে তেজক পানী হাড়ক মাটি কৰি দেশত সমাজবাদ স্থাপন কৰা সত্বেও দেশত মানুহ মৰিয়েই আছে। বিশেষকৈ দুৰ্গম অৰণ্য আৰু ব্ৰহ্মপুত্ৰৰ চৰত বাস কৰা 'মিঞা' বোৰতো কুকুৰ-মেকুৰীৰ দৰে বাটাই-ঘাটে মৰিবৰ কাৰণেই জন্ম লৈছে। এতিয়া যেনিবা আগতকৈ কেইটামান বেছিকৈ মৰিছে। তাকে লৈ

মতলববাজ বাতৰি কাকতবোৰে ইমান হৈ-চৈ কৰিব লাগে কিয়? বাতৰি কাকত নপঢ়িবা। কুকুৰৰ ভুক-ভুকনিলৈ কাণ নিদিবা। বাতৰি কাকত পঢ়িলেই তোমালোকৰ মনত মানৱীয় মহত্ত্ববোধ আৰু বিবেক জাগ্ৰত হৈ উঠিব পাৰে। ক্ষমতাৰ ৰাজনীতি কৰা মানুহৰ কাৰণে এই নিষ্ঠুৰ বাস্তৱতাৰ সংস্পৰ্শলৈ আহিলেই তোমালোকৰ মনত বিবেক জাগ্ৰত হৈ উঠিব, বিবেক জাগ্ৰত হ'লে তোমালোকৰ মনলৈ বিদ্ৰোহৰ ভাব আহিব, তেতিয়াহ'লে আমাৰ নিচিনা পাৰ্টিৰ চৰ্দাৰসকলৰ পক্ষে তোমালোকক নিয়ন্ত্ৰিত কৰি ৰখাটো অতি দুঃসাধ্য হৈ পৰিব। অতএব, বাতৰি কাকত নপঢ়িবা, কেৱল শ্ৰৱণ কৰিবা আমাৰ বাণী।

কেৱল বাতৰি কাকতেই নহয়, কিতাপো নপঢ়িবা। কেতিয়াবা পঢ়িলেও তাৰ পৰা কোনো শিক্ষা আহৰণ কৰিবলৈ চেষ্টা নকৰিবা। কিতাপ পঢ়িবা কেৱল আনৰ আগত বিদ্যা জাহিৰ কৰিবলৈ, আনৰ চকুত চমক লগাই দিবলৈ, ফ্ৰান্সৰ বুৰ্বো সম্ৰাটসকলৰ দৰে কোনো কথা নিশিকিবলৈ, কোনো কথা মনত নাৰাখিবলৈ। কিতাপৰ পৰা কিবা কথা শিকিবলৈ চেষ্টা কৰিলেই মৰিলা। কিতাপৰ পৰা কিবা কথা শিকিবলৈ চেষ্টা কৰিলেই জানিব পাৰিবা যে একো একোটা দীন-হীন ভিক্ষাৰীসদৃশ লেখকৰ কলম আগত মহা পৰাক্ৰমী সম্ৰাট আৰু সম্ৰাজ্ঞীসকলো বেঙে মূতা গৰুৰ দৰে কঁপি আছিল। টম্ পেইনৰ মুখৰ পৰা এবাৰ মাত্ৰ অনুমোদনসূচক কথা শুনিবৰ কাৰণে দিগ্বিজয়ী নেপোলিয়ন প্ৰায় নতজানু হৈছিল; ফ্ৰেডেৰিক ডি গ্ৰেটে ভল্টেয়ৰৰ ভৰি মালিচ কৰিছিল; কেথেৰিন ডি গ্ৰেটে বুজিছিল যে ভল্টেয়ৰ আৰু ডিডেৰটে চাৰ্টিফিকেট নিদিয়ালৈকে তেওঁৰ সমস্ত কৰ্ম-কাণ্ড অসাৰ আৰু অৰ্থহীন। ইটালীত এসময়ত এজন ৰজা আছিল, তেওঁৰ ভয়ত বাঘে-ছাগে একে ঘাটে পানী খাইছিল। কিন্তু ইতিহাসে আজি সেই ৰজাক কেৱল এই কাৰণেই স্মৰণ কৰে যে আলিঘেৰি ডাণ্টেই এদিন সেই ৰজাৰ তেওঁৰ টেবুলৰ পৰা দলিয়াই দিয়া উচ্ছিষ্ট হাড়ৰ টুকুৰা চোবাই ক্ষুন্নিবৃত্তি কৰিবলগা হৈছিল। আমি নতুন সমাজবাদী ভাৰতৰ ৰজা সকলো অতি প্ৰভাৱশালী আৰু অহংকাৰী মানুহ। কিন্তু কোনো কোনো খাব নোপোৱা ডাল-দৰিদ্ৰ লেখক আৰু সাংবাদিক আমাতকৈয়ো হাজাৰ গুণে বেছি অহংকাৰী। সিহঁতে জানে যে এদিন সিহঁতৰ কথাৰ চাবুক আমাৰ পিঠিত পৰিছিল বুলিয়েই হে ইতিহাসে আমাক এদিন স্মৰণ কৰিব। সিহঁতে জানে যে "A strong mind is not suited for advising a weak one, for it is incapable of following the thoughts of the latter" (Catherine The Great) – এই বিপজ্জনক অহংকাৰী মানুহবোৰৰ সংস্পৰ্শৰ পৰা তোমালোক সদায় সাৱধানে নিলগত থাকিবলৈ চেষ্টা কৰিবা। নহ'লে তোমালোকৰ মনত হীনমন্যতাৰ বীজানু প্ৰৱেশ কৰিব। ই এটা মাৰাত্মক ব্যাধি।

বাতৰি কাকতে কি লিখে তালৈ কেতিয়াও গুৰুত্ব নকৰিবা। ভাৰতবৰ্ষৰ মানুহক আমি হাড়ে হাড়ে চিনি পাইছোঁ। বাতৰি কাকতৰ পোহনীয়া ভতুৱা কুকুৰবোৰে বিমানেই ভুমি মানুহক জগাবলৈ চেষ্টা নকৰক কিয়, আমাৰ দেশৰ অনাহাৰ জৰ্জৰিত মানুহবোৰে সাৰ পালেও উঠি থিয় হ'বলৈ সিহঁতৰ গাত শক্তি নাই। ঠিক সময়ত আমি সিহঁতৰ ভোটবোৰ চোৰ কৰি আনিব পাৰিমেই পাৰিম। গতিকে বাতৰি কাকতৰ পৰা ভয় কৰিবলৈ আমাৰ একো কাৰণ নাই। তদুপৰি লেখক আৰু সাংবাদিকৰ স্বাধীনতা কেনেকৈ মৰিমুৰ কৰি দিব পাৰি সেই মন্ত্ৰ আমাৰ জনা আছে। এবটল হুইস্কি বা বিদেশ ভ্ৰমণৰ এটা সুযোগ দিয়েই আমি বহুতো লেখক-সাংবাদিকৰ মুখ বন্ধ কৰি দিব পাৰোঁ। যাক সেইদৰে কৰিব নোৱাৰোঁ, তাৰো কাকত আৰু কলম অচল কৰি দিব পৰাৰ বহুতো গোপন অস্ত্ৰ আমাৰ হাতত মজুত আছে। প্ৰয়োজন হ'লে আমি সেইবোৰ অস্ত্ৰ প্ৰয়োগ কৰিম। ভাৰতত সমাজবাদ স্থাপনৰ চেষ্টা বিৰোধ মানুহে আমাক বাধা দিব সিহঁতক আমি কেতিয়াও সহ্য

নকৰোঁ। ৰুচিয়াত দুর্ভিক্ষ হওঁতে লেনিনে নিজে দিনৰ পিছত দিন মাত্র এটুকুৰা সস্তীয়া ৰুটী আৰু এপিয়লা ক'লা কফি খাই জীৱন কটাব পাৰে; হো-চি-মিনে স্বদেশৰ মুক্তি-সংগ্রামৰ সময়ত সাধাৰণ সৈনিকৰ লগত দিনৰ পিছত দিন কলপাতত কৰ্কৰা ভাত খাই জীয়াই থাকিব পাৰে; মাও-চে-টুঙে এতিয়াও চিগাৰেট খাবৰ কাৰণে নিজে কোৰ মাৰি ধপাতৰ খেতি কৰিব পাৰে; কিন্তু আমি বিদেশৰপৰা আমদানি কৰা পন্থাৰে আমাৰ দেশত সমাজবাদ স্থাপন নকৰোঁ। এয়াৰ-কণ্ডিশ্যনদ্ প্রাসাদত বাস কৰি, বিদেশৰ পৰা আমদানি কৰা মটৰ-গাড়ীত ভ্রমণ কৰি, মোগল বাদশ্বাহৰ দৰে জীৱন কটায়েই আমি ভাৰতবর্ষত সমাজবাদ স্থাপন কৰিম। অর্ধ-সামন্তবাদী ভাৰতবর্ষৰ প্রজাক শাসন কৰিবলৈ এইখিনি আড়ম্বৰ একান্তই প্রয়োজনীয়।

(স্বগতোক্তি) ঃ আনক শুনুৱাই এইবোৰ কথা কৈছোঁ যদিও মাজে মাজে অৱশ্যে নিজৰ মনলৈ বেলেগ চিন্তা আহে। চি. পি. ফিংজেৰাল্ডে চীনৰ কুওমিণ্টাঙ্ শাসনৰ শেষ দিনবোৰৰ কথা বর্ণনা কৰি লিখিছিল ঃ "To what end, to what vision of the future, the Kuomintang progressed, no one really knew. Not many of its members cared. The short-term prospect the rewards and spoils of office, the ambition of high command, all these things were eagerly tought and fiercely contested. But when it was asked where all was tending.... all was uncertain... The intellectuals withdrew from politics; the careerists controlled the party and strove to secure the favour of the Generalissimo upon whom all depended. Chiang Kai-Shek never really controlled China; he juggled with the factions of Kuomintang, but only ruled by playing off one against other.... চিয়াং-কাই-শ্বেক আৰু কুওমিণ্টাঙৰ শেষ পৰিণতি কি হ'ল মই জানো। তেওঁৰ পতনৰ সময়ত এজন অসমীয়া সাংবাদিক দেৱকান্ত বৰুৱাই এটা সম্পাদকীয় প্রবন্ধত (১৯৪৮ চনত?) লিখিছিল ঃ "চিয়াং কাই-শ্বেক আছিল এজন বিজ্ঞাপন-বীৰ।" – অর্থাৎ বাতৰি কাকতৰ বিজ্ঞাপনেই সেই অলগৰ্ধ এলাইবাডু মানুহটোক এটা নকল বীৰত পৰিণত কৰিছিল। আমি যিসকল লোক আজি ভাৰতৰ বীৰ ৰূপে পূজিত, তেওঁলোকৰো বেছিভাগেই দেৱকান্ত বৰুৱাৰ ভাষাতে কেৱল মাত্র বিজ্ঞাপন বীৰ নহয়নে? আমি নহয়নে সেইসকল লোক—যিসকল লোক কৰি দেৱকান্তৰ ভাষাতে-

"মন্ত্রিত্ব যাৰ শেষ কল্পনা, এচেমব্লি যাৰ শেষ আশা
সিনো কি বুজিব লাচিত তোমাৰ ৰণ-দুর্মদ ভাষা।"

অসমৰ দুৰ্ভিক্ষ-পীড়িত ৰাইজলৈ শ্ৰীশৰৎ সিংহৰ ঈদ আৰু পূজাৰ উপহাৰ

অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহৰ কল্পনা আৰু নাটকীয়তাবোধৰ তাৰিফ নকৰি উপায় নাই। অনাহাৰ, অনাটন আৰু মূল্যবৃদ্ধিৰ মৰণ-ফান্দত পৰি নাভি-শ্বাস উঠা অসমৰ ৰাইজলৈ তেওঁ এটি অভিনৱ ঈদ আৰু পূজাৰ উপহাৰ আগবঢ়াইছে। সেই উপহাৰটো হ'ল স্বাধীন অসমৰ ইতিহাসৰ বৃহত্তম মন্ত্ৰীসভা। যি সময়ত ৰাজ্যখনত হাজাৰ হাজাৰ মানুহৰ দুৰ্ভিক্ষত মৃত্যু হৈছে, লাখ লাখ মানুহে অনাহাৰ-অৰ্দ্ধাহাৰত থাকি মৃত্যুৰ ক্ষণ গণিছে, 'শৰৎ সিংহ মাৰ্কা সমাজ-বাদ'ৰ দৌলতত সমগ্ৰ ৰাজ্য ভিক্ষাৰীৰে ভৰি পৰিছে, তেনে এটা সময়ত শৰৎ সিংহই কলমৰ এটা খোঁচতে মন্ত্ৰীসভাৰ আকাৰ তেৰজনৰ পৰা পঁচিশজনলৈ বৃদ্ধি কৰি আৰু তাৰ দ্বাৰাই অসমৰ দৰিদ্ৰ আধা-মৰা ৰাইজৰ ওপৰত বছৰি কম পক্ষেও বাৰ লাখ টকাৰ অতিৰিক্ত ব্যয়-ভাৰ জাপি দি যি নিৰ্মম ৰসিকতাৰ পৰিচয় দিছে, তাৰ কোনো তুলনা নাই।

অৱশ্যে শৰৎ সিংহৰ ৰসিকতাৰ পৰিচয় সিমানতেই সীমাবদ্ধ নহয়। ১২ অক্টোবৰৰ সাংবাদিক মেলত এজন সাংবাদিকে মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰিছিল— "আপুনি প্ৰথম মুখ্যমন্ত্ৰী হৈয়েই ঘোষণা কৰিছিল যে [illegible] নিচিনা এখন সৰু ৰাজ্যৰ কাৰণে আপুনি নীতিগতভাৱে এখন সৰু মন্ত্ৰীসভা গঠন কৰাৰ পক্ষপাতী তেনেস্থলত আপুনি এতিয়া মন্ত্ৰীসভাৰ আকাৰ ইমান অভূতপূৰ্বভাৱে ডাঙৰ কৰিলে কিয়?" মু[illegible] তপৰাই উত্তৰ দিলে— "যোৱা আঢ়ৈ বছৰৰ অভিজ্ঞতাৰ ফলত এতিয়া মই আগতকৈ বেছি জ্ঞানী হৈছোঁ।" বিন্দু মাত্ৰ সন্দেহ নাই যে তেওঁ আগতকৈ বহুত বেছি জ্ঞানী হৈছে। নহ'লেনো তেওঁ অসমৰ সাম্প্ৰতিক ইতিহাসৰ বৃহত্তম মানব-সৃষ্ট দুৰ্ভিক্ষ সৃষ্টি কৰাৰ কৃতিত্ব অৰ্জন কৰিব পাৰেনে? নহ'লেনো তেওঁ অসমৰ ডেৰ কোটি মানুহৰ চকুত ধূলি মাৰি চকুৰ পচাৰতে ক'লাক বগা আৰু বগাক ক'লা কৰাৰ ভেৰামতালি দেখুৱাব পাৰেনে? নহ'লেনো তেওঁ অসত্য ভাষণক এটা আৰ্ট বা কলা-বিদ্যাত পৰিণত কৰিব পাৰেনে? শ্ৰীশৰৎ সিংহৰ ৰসিকতাৰ পৰিচয় সিমানতো সীমাবদ্ধ নহয়। এজন কেবিনেট মন্ত্ৰীৰ তলত এজন ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰী দিয়াত কেবিনেট মন্ত্ৰীজনে আপত্তি কৰি ক'লে যে তেওঁৰ তলত এজন ৰাজ্যিক মন্ত্ৰীৰ কোনো প্ৰয়োজন নাই। ইমানদিনে তেওঁ বিভাগটো অকলেই চলাই আহিছে, এতিয়াও চলাব পাৰিব। মুখ্যমন্ত্ৰীয়ে উত্তৰ দিলে— "মইতো জানোৱেই যে ৰাজ্যিক মন্ত্ৰীজনৰ কৰিবলৈ একো কাম নাথাকিব। তেওঁ বহি থাকিলেও থাকিব, তথাপি তেওঁক আপোনাৰ লগতে থাকিবলৈ দিয়ক। তেওঁৰ কাৰণে মই আন ক'[illegible] ঠাই বিচাৰি পোৱা নাই।" অসমৰ ৰাইজে জানি নিশ্চিন্ত থাকক যে এনে এজন 'জ্ঞানী' আৰু 'অভিজ্ঞ' নেতাৰ হাতত্তেই দৰিদ্ৰ অসমৰ শুকান মুখত হাঁহি ফুটাই তোলাৰ মহান ঐতিহাসিক দায়িত্ব অৰ্পিত হৈছে।

But there is some method in this madness. অসমৰ এই গভীৰতম অৰ্থনৈতিক সংকটৰ সময়ত শৰৎ সিংহই পকা হিচাব নকৰাকৈ পঁচিশ-জনীয়া বৃহৎ মন্ত্ৰী সভাৰ দুৰ্বহ গুৰু-ভাৰ অসমৰ আধা-মৰা ৰাইজৰ ওপৰত জাপি দিয়া নাই। যোৱা কিছুদিনৰ পৰা তেওঁৰ পাৰ্টিত ভাঙন ধৰিবলৈ আৰম্ভ কৰিছিল

উপদলীয় কন্দলত শৰৎ সিংহৰ মুখ্য-মন্ত্রিত্বৰ আসন টলমলকৈ কঁপি উঠিছিল। শৰৎ সিংহই পঁচিশজনীয়া মন্ত্রীসভা গঠন কৰাৰ প্ৰধান উদ্দেশ্য হ'ল এয়েই যে প্ৰতিজন মন্ত্রীয়ে যদি কম পক্ষেও এজনকৈ 'এম-এল-এ'কো নিজৰ হাতত ৰাখিব পাৰে, তেন্তে ৯৪ জনীয়া কংগ্ৰেছ বিধায়িনী দলত অন্ততঃ ৫০ জন এম-এল-এৰ সমৰ্থন লাভ কৰি থাকিব, আৰু তেতিয়া হ'লেই তেওঁৰ সমৰ্থকৰ সংখ্যাধিক্য হ'ব নিৰংকুশ, তেওঁৰ মুখ্য-মন্ত্রিত্ব হ'ব নিষ্কণ্টক। সমাজবাদী ভাৰতবৰ্ষত ভূ-সম্পত্তিৰ চিলিং ধাৰ্য্য কৰি দিয়া হৈছে, চহৰীয়া সম্পত্তিৰ চিলিং ধাৰ্য্য কৰিবলৈ বিচৰা হৈছে, কিন্তু ৰাজনৈতিক চিনিচিজম্ আৰু দুৰ্বুদ্ধিৰ এটা চিলিং বা উচ্চ-সীমা কেতিয়াও ধাৰ্য্য কৰি দিয়া নহ'বনে?

১৯৬৯ চনত সমাজবাদ আৰু প্ৰগতিবাদৰ জয়-ডংকা বজোৱা কংগ্ৰেছ পাৰ্টিৰ আজি এনেকুৱা অবস্থা হৈছে যে মন্ত্রী-পদৰ টোপ নিগিলোৱাকৈ আজি আৰু এই পাৰ্টিৰ ঐক্য বজাই ৰখা সম্ভব নহয়। পাৰ্টিৰ ঐক্য-সূত্ৰ আজি কোনো নৈতিক আদৰ্শ নহয়, জনতাৰ মুক্তি-সংগ্ৰাম নহয়, ভবিষ্যতৰ মহৎ ঐতিহাসিক কল্প-দৃষ্টি নহয়,— সেই ঐক্য-সূত্ৰ হ'ল কেৱল ক্ষমতা আৰু পদবীৰ ভাগ-বাটোৱাৰা। এজন বিশেষ ব্যক্তিক মুখ্যমন্ত্রীৰ পদত অধিষ্ঠিত ৰাখিবলৈ অসমৰ হৃত-সৰ্বস্ব দৰিদ্ৰ ৰাইজে বছৰি বাৰ লাখ টকাৰ অপ্ৰয়োজনীয় অতিৰিক্ত ব্যয়-ভাৰ বহন কৰি ল'ব লাগিব—এনে এটা সম্ভাবনাৰ কাৰণে আমি কোনোৱেই বোধহয় প্ৰস্তুত নাছিলোঁ। শৰৎ সিংহই সেই সম্ভাবনাক বাস্তৱত পৰিণত কৰিলে।

শৰৎ সিংহ যিহেতু অসমৰ সৰ্ব-শক্তিমান মুখ্যমন্ত্রী— সেই কাৰণে তেওঁৰ বহু কাম কৰিবলৈ অধিকাৰ আছে। কিন্তু এটা অধিকাৰ তেওঁৰ নিশ্চয় নাই। সেইটো হৈছে এই যে অসমৰ ৰাইজৰ বুদ্ধি, বিবেক আৰু জনমতক অপমান কৰিবলৈ তেওঁৰ কোনো অধিকাৰ নাই। কিন্তু আজি শৰৎ সিংহই ঠিক তাকেই কৰিছে।

সাপ্তাহিক নীলাচল, ৩০১ সংখ্যা ঃ ২৩ অক্টোবৰ, ১৯৭৪ চন

অসমৰ নতুন মন্ত্ৰী-সভা ঃ এটি বিশ্লেষণ

মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই তেওঁৰ মন্ত্ৰীসভাৰ সালসলনি কৰাটো এটা আকস্মিক ঘটনা নহয়;— যোৱা ডেৰ বছৰ ধৰি বাৰে বাৰে মন্ত্ৰীসভা পুনৰ্বিন্যাসৰ প্ৰশ্ন উঠিছিল আৰু এই মন্ত্ৰীসভা পৰিবৰ্তনৰ প্ৰশ্ন সদায় জীয়াই ৰাখি নেতৃত্বৰ আসনত নিজৰ স্থান সুৰক্ষিত কৰাৰ সুবিধাও তেখেতে লৈছিল। বস্তুতঃ মন্ত্ৰীসভা আচলতে নতুনকৈ গঠন কৰাতকৈ সম্ভাব্য পুনৰ্গঠনৰ মুখৰোচক আলোচনা চলাই ৰাখি মুখ্যমন্ত্ৰীয়ে ইমান দিন ধৰি যি ফল পাইছিল, তাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰীসভাৰ সালসলনি কেতিয়াও নহয় বুলি এটা ধাৰণাৰ সৃষ্টি হৈছিল। শেষ পৰ্য্যন্ত কিন্তু মন্ত্ৰীসভাৰ পৰিবৰ্তন নহ'লেও পৰিবৰ্ধন তেওঁ কৰিবলগীয়া হ'ল। কংগ্ৰেছ বিধায়িনী দলৰ মাজত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ক্ৰমবৰ্ধমান অসন্তোষ আৰু অনাস্থাসূচক স্বাক্ষৰ সংগ্ৰহৰ জৰিয়তে ইয়াৰ সংগঠিত প্ৰকাশক মুখ্যমন্ত্ৰীৰ পক্ষে উপেক্ষা কৰা সম্ভৱ নহ'ল। ১৩ জনৰ ঠাইত ২৫ জনক (৯৪ জনৰ ভিতৰত, অৰ্থাৎ এতিয়া কংগ্ৰেছ বিধায়িনী দলৰ প্ৰতিজন চতুৰ্থ ব্যক্তি এজন মন্ত্ৰী) মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ ফলত ৰাজ্যৰ আৰু ৰাইজৰ কি উপকাৰ হ'ব ক'ব নোৱাৰোঁ; কিন্তু ৰাইজৰ ধনেৰে শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ সপক্ষে অধিকাংশ কংগ্ৰেছ বিধায়কৰ সমৰ্থন পোৱাৰ এটা অপচেষ্টা ইয়াৰ মাজত গোপন হৈ থকা নাই কিয়নো, যোগ্যতাৰ ভিত্তিত অথবা সম্প্ৰদায়গত প্ৰতিনিধিত্বৰ ভিত্তিত নতুন মন্ত্ৰী লোৱা হোৱা নাই; কংগ্ৰেছৰ উপদলীয় ৰাজনীতিৰ খেয়ালী-জাল প্ৰতিখন জিলা অথবা মহকুমাত নিপুণভাৱে বিস্তাৰ কৰি ক্ষমতাত অধিষ্ঠিত থকাৰ এটা সূক্ষ্ম পৰিকল্পনা মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ মাজত সম্পূৰ্ণভাৱে প্ৰকট হৈ উঠিছে।

মন্ত্ৰীসভাৰ নীতি-বিবৰ্জিত সম্প্ৰসাৰণ

সাংবাদিক মেলত মুখ্যমন্ত্ৰীয়ে কৈছে যে চৰকাৰক অপেক্ষাকৃত বেছি কৰ্মক্ষম কৰাৰ বাবে আৰু ৰাজ্যৰ জনবিন্যাসৰ যথাযথ প্ৰতিফলন মন্ত্ৰীসভাত কৰিবলৈ বিচাৰি তেওঁ এই সম্প্ৰসাৰণ কৰিছে। কিন্তু শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ মুখনিঃসৃত আন নানাবিধ বাণীৰ নিচিনাকৈ এইটোও এটা নিতান্ত কথাৰ কথা,— এই দুটা নীতিৰ এটাও তেওঁ অনুসৰণ কৰা নাই,—অনুসৰণৰ সামান্যতম চেষ্টাও কৰা নাই। যোগ্যতা আৰু কৰ্মক্ষমতাক অগ্ৰাধিকাৰ দিবলৈ হ'লে স্বভাৱতেই ইতিমধ্যে নিজৰ যোগ্যতা আৰু প্ৰতিভাৰ পৰিচয় দিয়া কেইবাজনো বিধায়কৰ নাম মনলৈ আহে। আটাউৰ ৰহমান আৰু ডঃ ৰবীন গোস্বামীয়ে অৱশ্যে জনগণতে চৰকাৰী নীতিৰ গঠনমূলক সমালোচনা কৰি মুখ্যমন্ত্ৰীৰ বিৰাগভাজন হৈছে,— এই কাৰণবশৰ এই দুইজনক বাদ দিয়াটো বাৰু বুজি পালোঁ; কিন্তু মুখ্যমন্ত্ৰীৰ নিজা অনুগামীসকলৰ ভিতৰতো বিসকল যোগ্য আৰু কৰ্মক্ষম সৎ ব্যক্তি আছে, আচৰিত কথা, ২৫ জনৰ ভিতৰত এনে ধৰণৰ মানুহ কমেই আছে। এই ২৫ জনীয়া মন্ত্ৰীসভাৰ কেইবাজনো সদস্যৰ পূৰ্ব-ইতিহাস (Antecedent) চাই এতিয়া এই কথা নিশ্চিতৰূপে ক'ব পাৰোঁ যে মুখ্যমন্ত্ৰীয়ে দুৰ্নীতি আৰু ন্যস্ত স্বাৰ্থৰ সৈতে এইবাৰ প্ৰকাশ্য মিত্ৰতা কৰিছে। সমাজবাদৰ মুখা এইবাৰ সম্পূৰ্ণৰূপে খহি পৰিছে। মন্ত্ৰীসভাৰ একাধিক সদস্যৰ বিৰুদ্ধে আগতেও দুৰ্নীতিৰ নিৰ্দিষ্ট অভিযোগ বিধানসভালৈ আহিছে— ইয়াৰ সন্তোষজনক উত্তৰ মুখ্যমন্ত্ৰীয়ে দিব পৰা নাই। এতিয়া চৰকাৰক কৰ্মক্ষম

কৰাৰ বাবে যি সকল লোকক মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী পাতিছে, সেইসকলৰ মাজত সৰ্বজনবিদিত দুৰ্নীতিগ্ৰস্ত লোকো একাধিকজন আছে। দুৰ্নীতিৰ অখ্যাতিৰ উপৰিও আমাৰ 'সমাজবাদী' চৰকাৰৰ ভিতৰত এতিয়া মদ, চাহ, ধানমিল, প্লাইউড ইত্যাদি বিষয়ক ন্যস্তস্বাৰ্থৰ প্ৰতিনিধি সোমাই পৰিছে।

জন-বিন্যাসৰ প্ৰতিফলন

জনবিন্যাসৰ প্ৰতিফলন মন্ত্ৰীসভাত হোৱা নাই, এই কথা খাটাং। আটাইতকৈ বেছি বঞ্চিত হৈছে চাহ-বনুৱা সমাজ। তেওঁলোকৰ মাত্ৰ এজন প্ৰতিনিধি মন্ত্ৰীসভাত আছে। অসমৰ চাহ-মজদুৰ সমাজৰ ভিতৰত আৰু বাহিৰতো হিন্দী ভাষা-ভাষীৰ সংখ্যা নিতান্ত উপেক্ষনীয় নহয়। অসমত মাতৃভাষাৰ হিচাবত হিন্দী ভাষীৰ মুঠ সংখ্যা অসমীয়া আৰু বঙালীৰ পিছতে। কিন্তু মন্ত্ৰীসভাত হিন্দীভাষী সমাজৰ প্ৰতিনিধি এজনো নাই। উল্লেখযোগ্য যে আই.এন.টি.ইউ.চিৰ ১২ জন বিধায়ক বিধান সভাত আছে; কিন্তু শ্ৰমিক সমাজক প্ৰতিনিধিত্ব কৰা মন্ত্ৰীজন তেওঁলোকৰ আস্থাভাজন নহয়। সম্প্ৰসাৰিত মন্ত্ৰীসভাত এজনো বঙালী হিন্দু পূৰ্ণমন্ত্ৰী নাই; মাত্ৰ এজন ৰাষ্ট্ৰমন্ত্ৰীয়েই মন্ত্ৰীসভাত বঙালী সমাজৰ প্ৰতিনিধিত্ব কৰিব। অথচ সংখ্যালঘু সম্প্ৰদায়বোৰৰ মাজত বঙালীৰ জনসংখ্যা বেছি। উপজাতি সম্প্ৰদায়বিলাক অনুন্নত, সেই কাৰণে সংখ্যাল্পতা সত্বেও প্ৰতিটো উপজাতিৰ প্ৰতিনিধি মন্ত্ৰীসভাত লোৱাটো অযৌক্তিক নহ'ব পাৰে- কিন্তু অনুসূচিত সম্প্ৰদায়বোৰে একেটা যুক্তিতে আনুপাতিক প্ৰতিনিধিত্ব দাবী কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীসভা সম্প্ৰসাৰণৰ সময়ত ৰাজ্যৰ বিবিধ অনুসূচিত গোষ্ঠীৰ প্ৰতি অবিচাৰ কৰিছে; পূৰ্বৰ পূৰ্ণমন্ত্ৰীজনৰ সৈতে এজন উপমন্ত্ৰী মাত্ৰ লৈ তেওঁ অনুসূচীত সম্প্ৰদায়সকলক নিচুকনি দিব খুজিছে। এই ৰাজ্যত মুছলমানৰ সংখ্যা মুঠ জনসংখ্যাৰ এক পঞ্চমাংশ; ২৫ জনৰ ভিতৰত পাঁচজন মুছলমান মন্ত্ৰী সেই হিচাবত সঙ্গতিপূৰ্ণ। কিন্তু হিন্দুস্থানী বঙালী, অনুসূচীত সম্প্ৰদায়, চাহবনুৱা ইত্যাদি সম্প্ৰদায়ৰ জনবিন্যাসগত অৱস্থানৰ সঠিক প্ৰতিফলন মন্ত্ৰীসভাত হোৱা নাই।

তেনেহ'লে কি নীতিত মন্ত্ৰীসভা সম্প্ৰসাৰিত হ'ল

তেনেহ'লে কি নীতিত মন্ত্ৰীসভা সম্প্ৰসাৰিত হৈছে? প্ৰদেশ কংগ্ৰেছৰ উপদলীয় ৰাজনীতি সম্বন্ধে অবহিত যি কোনো পৰ্য্যবেক্ষকৰ পক্ষে এই প্ৰশ্নৰ উত্তৰ পোৱা খুব টান নহয়। মন্ত্ৰী-নিৰ্বাচন মুখ্যমন্ত্ৰীৰ বিশেষাধিকাৰ আৰু এই অধিকাৰ প্ৰয়োগৰ ক্ষেত্ৰত তেওঁ নিজৰ বুদ্ধি-বিবেচনা আৰু বিচক্ষণতাৰ পৰিচয় দিব বুলি আশা কৰা হয়। শ্ৰীশৰৎ চন্দ্ৰ সিংহই এই মন্ত্ৰীসভা সম্প্ৰসাৰণৰ ক্ষেত্ৰত সৎ, বিবেকবান আৰু সক্ষম বিধায়ক কেইজনক ইচ্ছা কৰি বাদ দিছে বুলি ধৰি ল'লেও ইয়াৰ অৰ্থ এই নহয় যে তেওঁৰ বুদ্ধি আৰু বিচক্ষণতাৰ অভাৱ আছে। মুখ্যমন্ত্ৰীৰ এতিয়া একমাত্ৰ ৰাজনীতি হ'ল যেন তেন প্ৰকাৰেণ ক্ষমতাত থকা আৰু সেই উদ্দেশ্যৰ বাবে যিসকল লোকৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্তি তেওঁ কাম্য বুলি বিবেচনা কৰিছে, সেইসকলকে তেওঁ মন্ত্ৰীসভাত লৈছে। দুৰ্নীতি আৰু ন্যস্তস্বাৰ্থ ইত্যাদিৰ সৈতে জড়িত কেইবাজনো লোকক সেই কাৰণেই তেওঁ যোগ্য বুলি অনুভৱ কৰিছে। বিধানসভাত মুঠ ৯৪ জন কংগ্ৰেছ সদস্যৰ মাজত ৫০ জনৰ অধিক বিধায়কে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অনাস্থাসূচক প্ৰতিবেদনত স্বাক্ষৰ কৰিছে বা কৰিবলৈ সাজু হৈ আছে বুলি বাতৰি প্ৰকাশ হৈছে। এতিয়া ২৫ জন মন্ত্ৰীয়ে জনমুৰি এজন কৰি সমৰ্থক মুখ্যমন্ত্ৰীৰ পক্ষলৈ আনিব পাৰিলেই অন্ততঃ এইবাৰৰ বাবে তেওঁ নিশ্চিন্ত হ'ব পাৰিব।

শক্তিৰ ভাৰ-সাম্য ৰক্ষাৰ খেলা

মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত দেখা যায় যে প্ৰতিখন জিলা কংগ্ৰেছত ক্ষমতাৰ একাধিক কেন্দ্ৰবিন্দু সৃষ্টি কৰাত তেওঁ বিশেষ যত্ন লৈছে। এটা কথা খুব সূক্ষ্ম চাল,— কিন্তু মুখ্যমন্ত্ৰীয়ে জানে যে জিলা কংগ্ৰেছ পৰ্য্যায়ত বিবাদমান উপদলৰ সংখ্যা বেছি হ'লে এটা নহয় এটা উপদলৰ সমৰ্থন তেওঁ পাবই। উপদলীয় কলহ বৃদ্ধিৰ বাবে তেওঁ যত্ন লোৱাটো সংগঠনৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে ক্ষতিকৰ হ'ব পাৰে, কিন্তু এই খেলাই ক্ষমতাৰ ৰাজনীতিত মুখ্যমন্ত্ৰীক সহায় কৰিব। কামৰূপ জিলাত শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ যথেষ্ট প্ৰভাৱশালী, অথচ শ্ৰীতালুকদাৰ মুখ্যমন্ত্ৰীৰ সম্পূৰ্ণ বিশ্বাসভাজন নহয়। আনটো উপদলৰ নেতা শ্ৰীগিৰীন চৌধুৰীক মন্ত্ৰীসভাত লোৱাৰ ফলত এতিয়া জিলাৰ অভ্যন্তৰত দুটা ক্ষমতাৰ কেন্দ্ৰ তৈয়াৰী হ'ল। গোৱালপাৰাত চৈয়দ আহমেদ আলী আৰু মহম্মদ ওমৰুদ্দিন দুই বিবাদমান উপদলৰ নেতা—মুখ্যমন্ত্ৰীৰ প্ৰতি চৈয়দ আহমেদ আলীৰ আনুগত্য সম্পৰ্কে তেওঁ যথেষ্ট সন্দিহান। কিন্তু এতিয়া ওমৰুদ্দিনৰ অন্তৰ্ভুক্তিৰ ফলত অন্ততঃ এটা দলৰ সমৰ্থন তেওঁ পাব। তেজপুৰ আৰু বৰপেটাৰ বিধায়কসকল বিসম্বাদী দলৰ প্ৰতি সহানুভূতিশীল, শ্ৰীবিজয় শৰ্মা আৰু ডাঃ সুৰেন দাসক (তেওঁ এজন স্বাক্ষৰ-দাতা) মন্ত্ৰীসভাত লৈ মুখ্যমন্ত্ৰীয়ে সেই গোট ভাঙিব বিচাৰিছে। ডিব্ৰুগড় জিলাৰ কংগ্ৰেছত বিসম্বাদী দলৰ মাত-থকা সদস্য শ্ৰীৰাজেন ফুকনৰ প্ৰভাৱ খৰ্ব কৰিবলৈ শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ডক লোৱা হৈছে; নগাঁৱৰ শ্ৰীদেবেন বৰাক অন্তৰ্ভুক্ত কৰা হ'ল তাত শ্ৰীবিষ্ণু প্ৰসাদৰ প্ৰতিপত্তি নষ্ট কৰিবৰ কাৰণে। কাছাৰৰ শ্ৰীসুৰঞ্জন নন্দীক লোৱা হৈছে শ্ৰীমহীতোষ পুৰকায়স্থৰ বিৰুদ্ধে যোৱা বছৰ অধিকাংশ কংগ্ৰেছ বিধায়কক সংগঠিত কৰাৰ পুৰস্কাৰ স্বৰূপে। শ্ৰীপুৰকায়স্থৰ এটা নেতৃত্ব বঙালী হিন্দুৰ মাজত তৈয়াৰী কৰাত মুখ্যমন্ত্ৰী আগ্ৰহী। লক্ষীমপুৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীললিত কুমাৰ দলে এতিয়া মুখ্যমন্ত্ৰীৰ খুব প্ৰীতিভাজন নহয়; অতএৱ শ্ৰীললিত দলেৰ এটা বিকল্প নেতৃত্ব তেখেতক দিয়া হৈছে। যদি সেয়ে হয় তৈয়াৰী কৰাৰ প্ৰয়োজনে তাত দেখা দিছে। শ্ৰীলক্ষ্যনাথ দলেৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্তিয়ে সেই প্ৰয়োজন পূৰণ কৰিব।

পুনৰ্বিন্যাস নহয়, কেৱল সম্প্ৰসাৰণ

মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীসভাৰ সালসলনি নকৰি কেৱল মাত্ৰ সম্প্ৰসাৰণ কৰিলে। তাকে দেখি বহুতে আচৰিত হৈছে। ১০ অক্টোবৰত মুখ্যমন্ত্ৰী দিল্লীৰ পৰা যেতিয়া উভতি আহে তেতিয়া মন্ত্ৰীসভাৰ যি তালিকা আছিল, তেওঁ অসম আহি পোৱাৰ পিছতে তাৰ ভালেমান পৰিবৰ্তন হয়। কমপক্ষেও চাৰিজন মন্ত্ৰীৰ নাম সেই তালিকাত নাছিল বুলি জনা গৈছে। আনহাতে ৰাষ্ট্ৰমন্ত্ৰী পৰ্য্যায়ত আই.এন.টি.ইউ.চিৰ শ্ৰীবিশ্বনাথ উপাধ্যায় আৰু শ্ৰীছত্ৰগোপাল কৰ্মকাৰৰ নাম তাত উল্লেখ হৈছিল বুলি আমি জানো। শেষোক্ত দুইজন লোকেই ৰাষ্ট্ৰমন্ত্ৰীৰ পদ ল'বলৈ মান্তি নহ'ল। অতএৱ, পিছত তেওঁলোকৰ নাম বাদ পৰে। এটা পৰ্য্যায়ত শ্ৰীজগন্নাথ সিংহক মন্ত্ৰীসভাত যোগ দিবৰ বাবে মুখ্যমন্ত্ৰীয়ে অনুৰোধ কৰিছিল; কিন্তু শ্ৰীসিংহই মন্ত্ৰীপদৰ লগে লগে কাছাৰ চাহ শ্ৰমিক ইউনিয়নৰ চেক্ৰেটাৰী পদতো থাকিব বুলি কয়। মুখ্যমন্ত্ৰী তাত মান্তি নোহোৱাত তেওঁ মন্ত্ৰীসভাত নাথাকি ইউনিয়নতে থাকিবলৈ স্থিৰ কৰে। প্ৰকাশ যে ১০ তাৰিখে মুখ্যমন্ত্ৰী দিল্লীৰ পৰা ঘূৰি অহাৰ পিছত শ্ৰীবিষ্ণুপ্ৰসাদে তেওঁ মন্ত্ৰীসভাৰ পৰা বাদ পৰাৰ সংবাদ পায় আৰু পিচ দিনা অৰ্থাৎ ১১ অক্টোবৰত দিল্লীলৈ উৰা মাৰে। ফলত অসমৰ ৰাজনীতিৰ অত্যন্ত প্ৰভাৱশালী এজন নেতাই মুখ্যমন্ত্ৰীক

টেলিফোন কৰি বিষ্ণু প্ৰসাদক মন্ত্ৰীসভাত ৰাখিবলৈ কয়, আৰু তেতিয়া মন্ত্ৰীসভাৰ গোটেইবোৰ সদস্যকে ৰখা হ'ব বুলি স্থিৰ হয়। কিন্তু দপ্তৰ-বণ্টনৰ ক্ষেত্ৰত কেইজনমান মন্ত্ৰীৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আস্থাৰ অভাৱ গোপন হৈ থকা নাই; তেওঁলোকক সেই কথা স্পষ্টভাৱে বুজাই দিবৰ কাৰণে অপেক্ষাকৃতভাৱে গুৰুত্বহীন দপ্তৰবোৰৰ দায়িত্ব তেওঁলোকক দিয়া হৈছে।

পুতলা-নাচ

সম্প্ৰতি ভাৰতৰ একাধিক ৰাজ্যত মন্ত্ৰী-সভাৰ সম্প্ৰসাৰণৰ দাবী উঠিছে। কিন্তু দেশৰ সাম্প্ৰতিক অৰ্থনৈতিক সংকটৰ কাৰণে সেইবোৰ ৰাজ্যত মন্ত্ৰীসভাৰ আকাৰ বৃদ্ধি কৰিবলৈ অনুমতি দিয়া হোৱা নাই। তেনেস্থলত অসমৰ ক্ষেত্ৰত ব্যতিক্ৰম কৰা হ'ল কিয়? এটা বিশ্বস্ত সূত্ৰৰ পৰা জানিব পৰা গৈছে যে মন্ত্ৰী-সভা সম্প্ৰসাৰিত কৰিবলৈ অনুমতি বিচাৰি শ্ৰীসিংহই দিল্লীত চীনা-জোক লগাৰ দৰে লাগি ধৰাৰ কাৰণেই কংগ্ৰেছ হাই-কমাণ্ডে নিতান্ত অনিচ্ছা সত্ত্বেও তেওঁৰ কথাতে হয়ভৰ দিব লগা হ'ল। কথাষাৰ সঁচা বুলি ধৰি ল'লেও অসমৰ সাম্প্ৰতিক অৰ্থনৈতিক সংকটৰ সময়ত মন্ত্ৰীসভাৰ অভূতপূৰ্ব সম্প্ৰসাৰণৰ কাৰণে কেৱল শ্ৰীশৰৎ সিংহকে সম্পূৰ্ণ দোষী সাব্যস্ত কৰিব নোৱাৰি; কংগ্ৰেছ হাই-কমাণ্ডে আৰু বিশেষকৈ শ্ৰীদেৱকান্ত বৰুৱাও এই নীতি-বিবৰ্জিত আৰু জন-স্বাৰ্থ-বিৰোধী কাৰ্য্যৰ নৈতিক দায়িত্বৰ পৰা মুক্ত হৈ থাকিব নোৱাৰে। মন্ত্ৰীসভাৰ গাঁথনিৰ মাজতো মুখ্যমন্ত্ৰী শ্ৰীসিংহৰ নিজৰ স্বতন্ত্ৰ বিচাৰ-বুদ্ধি বা ইচ্ছা-অভিৰুচিতকৈ এক অদৃশ্য হাতৰ প্ৰভাৱ বেছি প্ৰকট হৈ উঠিছে। মন্ত্ৰীসভাৰ শেহতীয়া সম্প্ৰসাৰণে কেৱল এটা কথাই প্ৰমাণ কৰিলে। সেইটো হৈছে এই যে মুখ্যমন্ত্ৰী শ্ৰীসিংহৰ নৈতিক আৰু ৰাজনৈতিক কৰ্তৃত্ব সম্পূৰ্ণ ক্ষয়-প্ৰাপ্ত হৈ তেওঁ এতিয়া এটা পুতলাত পৰিণত হৈছে। সেই পুতলাক কোনে কি ভাৱে নচুৱায়, সেইটো অহা কেইমাহমানতহে ভালকৈ বুজা যাব।

যি গল্পৰ শেষ নাই

শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ সম্প্ৰসাৰিত মন্ত্ৰীসভা স্থায়ী হ'বনে? ৰাজ্যখনৰ সমগ্ৰ জনসাধাৰণৰ ক্ৰুদ্ধ বিৰূপ প্ৰতিক্ৰিয়া আৰু শাসক দলৰ ক্ৰম-বৰ্দ্ধমান আভ্যন্তৰীণ খোৱা-কামোৰাৰ দু-মুখীয়া হেঁচাত পৰি এই মন্ত্ৰীসভা তিষ্ঠি থাকিব পাৰিবনে? কেনেবাকৈ থাকিব পাৰিলেও এই মেদ-বহুল কিন্তু ক্ষুদ্ৰ মস্তিষ্ক বিশিষ্ট মন্ত্ৰীসভাই কিবা কাম কৰি দেখুৱাব পাৰিবনে? ৰাজ্যৰ ৰাজনীতি-সচেতন সকলো চিন্তাশীল মানুহৰ মনতে আজি এইবোৰ প্ৰশ্নৰ উদয় হৈছে।

বৰ্তমানৰ মন্ত্ৰীসভাৰ স্থায়ীত্ব যি কেইটা কথাৰ ওপৰত নিৰ্ভৰ কৰিছে, সেইবোৰৰ ভিতৰত প্ৰধান হ'ল ১৯৭৬ চনৰ লোক-সভাৰ নিৰ্বাচনৰ চিন্তা। ১৯৭১ চনৰ 'ইন্দিৰা-তৰংগ' ইতিমধ্যেই ফুটুকাৰ ফেনত পৰিণত হৈছে। তাৰ ঠাইত দেখা গৈছে দেশব্যাপী জন-সাধাৰণৰ ক্ৰোধ আৰু হতাশাৰ তৰংগ। গতিকে ১৯৭৬ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ 'ইজ্জৎ' ৰক্ষা কৰিবলৈ হ'লে দলৰ নেতাসকলে নতুন ৰণ-কৌশলৰ কথা চিন্তা কৰিব লাগিব। এইখিনিতে স্মৰ্তব্য যে ১৯৭২ চনৰ বিধান সভাৰ সাধাৰণ নিৰ্বাচনৰ মাত্ৰ এমাহৰ আগতে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীক পদ-চ্যুত কৰি শ্ৰীশৰৎচন্দ্ৰ সিংহক মুখ্যমন্ত্ৰী 'নিযুক্ত' কৰা হৈছিল। এতিয়াও সেই একে ঘটনাৰ পুনৰাবৃত্তি হোৱা অসম্ভৱ নহয়। শ্ৰীসিংহ আৰু তেওঁৰ বহু নিন্দিত মন্ত্ৰীসভাৰ নেতৃত্বত অসম কংগ্ৰেছে কিমানখিনি আত্ম-বিশ্বাসেৰে সৈতে ১৯৭৬ চনৰ নিৰ্বাচনৰ মুখা-মুখি হ'ব পাৰিব--সেই বিষয়ে বিভিন্ন স্তৰত আৰু বিভিন্ন মাধ্যমৰ যোগেদি সৰ্বাত্মক মূল্যায়নৰ কাম ইতিমধ্যেই আৰম্ভ হৈছে। কংগ্ৰেছ হাই কমাণ্ডে যি মুহূৰ্ততেই এই সিদ্ধান্তত উপনীত হ'ব যে শ্ৰীসিংহক নেতা হিচাবে লৈ ১৯৭৬ চনৰ নিৰ্বাচনৰ মুখা-মুখি হোৱা নিৰাপদ নহয়, সেই মুহূৰ্ততেই তেওঁক পদচ্যুত কৰিবলৈ হাই কমাণ্ডে বিন্দু-মাত্ৰ দ্বিধা নকৰিব। বস্তুতঃ ১৯৭৬ চনৰ নিৰ্বাচনৰ কথা মনত ৰাখি কেইবাখনো ৰাজ্যৰ মন্ত্ৰীসভাৰ সালসলনি আৰু মেৰামতিৰ প্ৰস্তাৱ বহুদিনৰ পৰাই বিবেচনাধীন হৈ আছে। সেই প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ বাটত বাধাৰ সৃষ্টি কৰি ৰাখিছে বিহাৰৰ সমস্যাই। কিন্তু যি প্ৰকাৰেই নহওক, অহা দুই-এমাহৰ ভিতৰতে বিহাৰৰ সমস্যাৰ কিবা এটা হেস্ত-নেস্ত হ'বই লাগিব। তাৰ পিছত বিভিন্ন ৰাজ্যৰ মন্ত্ৰীসভাৰ কম-বেছি পৰিমাণৰ সালসলনিৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এই সালসলনিৰ প্ৰক্ৰিয়া অসমতেই প্ৰথম আৰম্ভ হ'ব পাৰে।

অসম সম্পৰ্কে দিল্লীত কি ধৰণৰ গুণা-গঠা আৰম্ভ হৈছে, তাৰ কিছু আভাস সম্প্ৰতি পোৱা গৈছে। প্ৰায় এমাহ মানৰ আগতে প্ৰধান মন্ত্ৰীয়ে অসমৰ এজন প্ৰবীণ নেতাৰ পৰা (তেওঁ ৰাজ্যৰ ৰাজনীতিত এতিয়া সক্ৰিয় নহয়) এই ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতিৰ বুজ ল'বলৈ বিচাৰিছিল। নেতাজনে বহুত ইতস্ততঃ কৰি অৱশেষত ক'লে : "মাডাম, ১৯৭১ চনৰ লোকসভাৰ নিৰ্বাচনৰ ঠিক আগে আগে বিভিন্ন ৰাজ্যৰ নেতাসকলৰ লগতে আপুনি মোকো সুধিছিল : 'অসমে কেইজন কংগ্ৰেছ এম-পিক লোকসভালৈ পঠাব পাৰিব?' বিনা দ্বিধাই মই উত্তৰ দিছিলোঁ যে অসমে চৌধজন কংগ্ৰেছ এম-পি লোকসভালৈ পঠাব। অসমে এই প্ৰতিশ্ৰুতি ৰক্ষা কৰিছিল। কিন্তু অসমৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিত সাতজনতকৈ বেছি কংগ্ৰেছ এম-পি অসমৰ পৰা আপুনি পাব বুলি মই আশা নকৰোঁ।"

প্ৰধান মন্ত্ৰীয়ে যদি তেওঁৰ ৰাজনৈতিক চোৰাংচোৱা সংস্থাকে ধৰি অন্যান্য বিভিন্ন সূত্ৰৰ পৰাও একে ধৰণৰ কথাকেই শুনিবলৈ পায়, তেন্তে শ্ৰীশৰৎ চন্দ্ৰ সিংহ ১৯৭৬ চনলৈকে অসমৰ মুখ্যমন্ত্ৰী হৈ থকাৰ কোনো আশা নাই। শ্ৰীমতী গান্ধীৰ ৰাজনৈতিক জীৱনত ১৯৭৬ চনৰ লোকসভাৰ নিৰ্বাচনৰ এক বিশেষ গুৰুত্ব আৰু তাৎপৰ্য্য আছে।

০ ০ ০ ০ ০

অসমৰ্থিত কিন্তু অতিশয় বিশ্বস্ত সূত্ৰৰপৰা পোৱা এটা বাতৰি এতিয়া বোধহয় প্ৰকাশ কৰিব পাৰি। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অলপতে হৈ যোৱা সাল-সলনিৰ সময়তে শ্ৰীসিংহক কেন্দ্ৰীয় মন্ত্ৰীসভালৈ নি অসমৰ কাৰণে এজন নতুন মুখ্যমন্ত্ৰী নিয়োগ কৰাৰ কথা অতিশয় গুৰুত্ব-সহকাৰে বিবেচনা কৰি চোৱা হৈছিল। অৱশেষত শ্ৰীদেৱকান্ত বৰুৱাৰ হস্তক্ষেপত সেই প্ৰস্তাৱ কাৰ্য্যকৰী হৈ নুঠিল। ৰাজনৈতিক পৰ্য্যবেক্ষকসকলে এই কথাও বিশ্বাস কৰে যে শ্ৰীবৰুৱাৰ হস্তক্ষেপত বা স্থূল হস্তাৱলেপনৰ ফলতেই শ্ৰীসিংহই অতি অসহায়ভাৱে তেওঁৰ মন্ত্ৰীসভা নীতি-বিবৰ্জিতভাৱে সম্প্ৰসাৰিত কৰিব লগা হ'ল। অৰ্থাৎ অসম মন্ত্ৰীসভাৰ শেহতীয়া সাল-সলনিত শ্ৰীসিংহতকৈ শ্ৰীবৰুৱাৰ ৰাজনৈতিক হিচাপ-কিতাপ আৰু চিন্তা-ধাৰা প্ৰতিফলিত হৈছে।

শ্ৰীবৰুৱাৰ মতলব কি? মন্ত্ৰীসভাৰ সাল-সলনিৰ পিছতে বোলে শ্ৰীসিংহৰ এজন ঘনিষ্ঠ বন্ধুৱে তেওঁক সুধিলে- "মানুহে ক'ব ধৰিছে যে আপুনি বোলে শ্ৰীবৰুৱাৰ বুদ্ধি শুনিহে মন্ত্ৰীসভাৰ আকাৰ ইমান ডাঙৰ কৰিলে। মানুহে এই বুলিও ক'ব খোজে যে শ্ৰীবৰুৱাই নিজে অসমলৈ মুখ্যমন্ত্ৰী হিচাপে আহিবলৈ মন কৰি আৰু সেই উদ্দেশ্যেৰে আপোনাৰ ইমেজ নষ্ট কৰাবৰ মনেৰেহে আপোনাৰ হতুৱাই মন্ত্ৰীসভাৰ আকাৰ ইমান ডাঙৰ কৰালে। আপুনি এই বিষয়ে কি ভাবে?"

শ্ৰীসিংহই বোলে তেতিয়া এটা গল্প ক'লে ঃ "এটা কুঁৱাত দুদল ভেকুলী বাস কৰিছিল। দুয়োদলৰ মাজত সদায় দুৰ্বাদল কাজিয়া। তাৰে এটা দলে আনটো দলক শায়েস্তা কৰিবৰ মনেৰে নিজৰ ভিতৰতে আলচ কৰি এটা সাপক নিজৰ নেতা হিচাপে মাতি আনিলে। সাপটোৱে প্ৰথমটো দলৰ নেতা হৈ বহি লৈ আনটো দলৰ ভেকুলীবোৰক এটা এটাকৈ খাবলৈ ধৰিলে। সেই দলৰ ভেকুলীবোৰ খাই শেষ কৰাৰ পিছত এদিন সি নিজৰ দলৰ ভেকুলী এটাক খাই পেলালে। বাকীবোৰ ভেকুলি তেতিয়া সন্ত্ৰস্ত হৈ ক'লে ঃ 'আপুনি এয়া কি কৰিব খুজিছে? শত্ৰু ভেকুলীবোৰৰ পৰা আমাক ৰক্ষা কৰিবৰ কাৰণেহে আমি আপোনাক নেতা হিচাপে মাতি আনিছিলোঁ। এতিয়া আপুনি দেখোন ৰক্ষকেই ভক্ষক হ'বলৈ ওলাইছে।' সাপটোৱে উত্তৰ দিলে ঃ 'ভোক লাগিলে মই কি কৰিম? ভোকে শত্ৰু-মিত্ৰ কাকো চিনি নাপায়। এতিয়া তোমালোককেই যদি নাখাওঁ, মই জীয়াই থাকিম কেনেকৈ?"

শ্ৰীসিংহৰ বহুতো অনুগামীয়ে এতিয়া ভাবিবলৈ আৰম্ভ কৰিছে যে শ্ৰীসিংহৰ পৰাও সময় থাকোঁতেই তেওঁলোক সাৱধান হোৱাটো ভাল, কাৰণ তেওঁৰো ঠিক সেই সাপটোৰ নিচিনাকৈয়ে আচৰণ কৰিবলৈ আৰম্ভ কৰিছে।

ক্ষমতাৰ ৰাজনীতিৰ একমাত্ৰ নিয়ামক নীতি হ'ল মাৎস্য-ন্যায়। বহুতে সেই কথা দেখি শিকে, বহুতে ঠেকি শিকে।

০ ০ ০ ০ ০

সিংহ-মন্ত্রীসভাৰ এজন নেতৃস্থানীয় মন্ত্রীয়ে আমাক নিজে কোৱা মতে মাত্র তেৰ জন মন্ত্রী চন্তালোতেই শ্রীসিংহ নাজেহাল্ হৈছিল, এতিয়াতো তেওঁৰ পঁচিশজনীয়া মন্ত্রীসভা এখন মেলা-বজাৰ, কাৰো মাত কোনেও নুশুনা অৱস্থা। এজন কি দুজন বিশেষ অনুগ্রহ-ভাজন মন্ত্রীৰ বাহিৰে বাকী সকলোৱেই সম্পূর্ণভাৱে অসন্তুষ্ট আৰু নিৰুদ্যম; প্রত্যেকেই অপমান আৰু বঞ্চনাৰ যন্ত্রণাময় ক্ষতস্থান নীৰবে লেহন কৰিব ধৰিছে। কেৱল সেয়েই নহয়, প্রত্যেকেই প্রতিশোধৰ ছেগ্ বিচাৰি অপেক্ষা কৰি আছে। ৰাজ্যৰ চিন্তা কেতিয়াবাই তল পৰিল; এতিয়া মন্ত্রীৰ ঘৰে ঘৰে কেৱল গোপন ষড়যন্ত্র। ৰাজ্যখনত অর্থনৈতিক সংকটৰ কৰাল ছাঁ দিনে দিনে গাঢ়তৰ হৈ আহিব ধৰিছে। লাখ লাখ মানুহে মৰণ-যন্ত্রণাত চেঙা-লুটি পাৰিব ধৰিছে। প্রচলিত ৰাজনৈতিক ব্যৱস্থাত যে জনসাধাৰণৰ অর্থনৈতিক আৰু সামাজিক মুক্তিৰ আশা সুদূৰ-পৰাহত—সেই কথা দিবালোকৰ দৰেই স্পষ্ট হৈ পৰিছে। এনে অৱস্থাত ৰাইজৰ তথাকথিত নেতাসকলে কৰিছে কি? তেওঁলোকে এটা আন্ধাৰ ৰুদ্ধ-দ্বাৰ কক্ষত ক্ষমতাৰ মৰণ-পণ হিংস্র যুদ্ধত লিপ্ত হৈ পৰিছে। যিহেতু যুদ্ধখন এন্ধাৰত চলিছে, সেই কাৰণে শত্রু-মিত্র কাৰ গাত কেতিয়া আঘাত পৰিছে কোনেও ক'ব নোৱাৰে। বাহিৰৰ জনতাৰ বৃহৎ পৃথিবীৰ লগত এই আন্ধাৰ ৰুদ্ধ-দ্বাৰ কক্ষৰ খণ্ড-যুদ্ধৰ কোনো সম্পর্ক নাই। অথচ এইসকল স্বার্থান্ধ ক্ষমতা-পিপাসু লোকৰ এনেকুৱাই স্পর্দ্ধা যে নিজৰ স্বার্থ-কেন্দ্রিক তুচ্ছ ক্ষমতাৰ যুদ্ধকে তেওঁলোকে আদর্শৰ যুদ্ধ বা জনতাৰ মুক্তি-যুদ্ধ বুলি চাবলৈ প্রয়াস কৰিছে। আত্ম-প্রতাৰণাৰো এটা সীমা থকা উচিত নহয়নে?

দিল্লীত একো একোজন নেতাৰ উত্থান-পতনৰ লগে লগে অসমৰ এই নৈতিক বাওনা নেতাসকলে যি ভাবে খৰ-লুটি মাৰে বা যি অবিশ্বাস্য দ্রুত-বেগেৰে ইটো শিবিৰৰ পৰা সিটো শিবিৰলৈ ছকাছুটি হেৰুৱাই ঢাপলি মাৰে—সেই দৃশ্য দেখিলে অতি বে-ৰসিক লোকৰো হাঁহিত পেটৰ নাড়ী-ভুঁৰু বাহিৰ নোহোৱাকৈ নাথাকে। ই এটা অদ্ভুত দৃশ্য। একো সময়ত ভাব হয়—ই প্রাচীন কালৰ এখন দাস-বজাৰ। কেতিয়াবা ভাব হয়—ই এখন ৰোমান চার্কাচ। কেতিয়াবা ভাব হয় ই এখন বিৰাট পুতুলা নাচ। কিন্তু আচলতে কোনোৱে ই মহাভাৰতৰ মূষল-পর্ব, আসৱ-মত্ত যদু-বংশৰ অন্ধ হিংস্র পাৰস্পৰিক ধ্বংস-লীলাৰ উদ্বোধনী দৃশ্য। এনে অৱস্থাত শৰৎ সিংহ যায় নে থাকে সেই প্রশ্ন ঐতিহাসিক বিচাৰত নিতান্তই অপ্রাসংগিক। ঠিক যি সময়ত মানব-সৃষ্ট দুর্ভিক্ষত অসমত হাজাৰ হাজাৰ মানুহ কুকুৰ-মেকুৰীৰ দৰে মৰিছে (অন্ততঃ ৫০০ মানুহ মৰিছে বুলি সম্প্রতি চৰকাৰীভাৱে স্বীকৃত হোৱাৰ পিছতো চৰকাৰ তিষ্ঠি আছে), সেই সময়তে কংগ্রেছ সভাপতি অসমৰে শ্রীদেৱকান্ত বৰুৱাই দম্ভ-ভৰে ঘোষণা কৰিছে : We will sweep the polls in Assam, অর্থাৎ অসমত আমি বিনা-যুদ্ধে জয়লাভ কৰিম। কংগ্রেছৰ ক্ষমতাৰ নকল যুদ্ধৰ লগত যে জনতাৰ ভাগ্যৰ কোনো সম্পর্ক নাই, তাৰ ইয়াতকৈয়ো আন ডাঙৰ কিবা প্রমাণ লাগেনে? মানুহৰ ইয়াতকৈয়ো ডাঙৰ অপমান আন ক'ৰবাত কেতিয়াবা হৈছেনে?

১৯৬৭ চনৰ বহু আগতেই বোধহয় শৰৎ সিংহই মুখ্যমন্ত্রিত্বৰ পৰা বিদায় ল'ব লাগিব। থাকিলেও আচৰিত হ'বলগীয়া কথা একো নহয়। কাৰণ গল্প সেই একেটাই : এটা টুনি চৰাই আহি ধান এটা লৈ উৰি গ'ল। আৰু এটা টুনি আহিল, ধান এটা লৈ উৰি গ'ল। তাৰ পিছত? আৰু এটা টুনি আহিল আৰু ধান এটা লৈ উৰি গ'ল। তাৰ পিছত আৰু এটা টুনি... তাৰ পিছত আৰু এটা টুনি... এই গল্পৰ শেষ নাই।

কিন্তু সঁচাকৈয়ে শেষ নাইনে? আছে, নিশ্চয় তাৰ শেষ আছে। তাৰ শেষ নাই বুলি কোৱাটো হ'ব মানুহৰ প্রতি চৰম অপমান।

সাপ্তাহিক নীলাচল, ৩০৩ সংখ্যা ঃ ১৩ নবেম্বৰ, ১৯৭৪ চন

ৰোমান লিপি নে অসমীয়া লিপি?

I am always sorry when any language is lost, because language are pedigree of nation.

– Dr. Johnson

যি কোনো বিষয়ক কেন্দ্ৰ কৰি মতানৈক্য বা বিতৰ্কৰ সৃষ্টি হ'লে পুঁজিবাদী লোকে প্ৰতিপক্ষৰ দৃষ্টিকোণৰ পৰাও বিষয়টোক পৰীক্ষা কৰি চাবলৈ চেষ্টা কৰে। সম্প্ৰতি বড়ো ভাষাৰ লিপিৰ প্ৰশ্নটোক কেন্দ্ৰ কৰি অসমত এটা তুমুল বিতৰ্কৰ সৃষ্টি হৈছে। ভাষা-বিজ্ঞানীসকলে একাডেমিক দৃষ্টিকোণৰ পৰা তেওঁলোকৰ নিজস্ব মত ডাঙি ধৰিছে। চৰকাৰে আলেখ-লেখ চাই আছে। ভাষা প্ৰেমীসকলে নিজ নিজ ভাষাৰ সুদূৰ-প্ৰসাৰী স্বাৰ্থৰ কথা বিবেচনা কৰি নিজৰ নিজৰ মত প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে। আমি এই সকলো দিশ মনত ৰাখি সম্পূৰ্ণ নিৰপেক্ষ আৰু বস্তু-নিষ্ঠ দৃষ্টি-ভংগীৰে নিজৰ বক্তব্য ডাঙি ধৰিবলৈ চেষ্টা কৰিম। প্ৰথমতেই স্পষ্ট কৰি দিয়া উচিত হ'ব যে আমাৰ বক্তব্য এটা সমাধান-সূত্ৰ বা চূড়ান্ত সিদ্ধান্ত বুলি আমি দাবী কৰিব নোখোজোঁ। ই কেৱল আমাৰ নিজস্ব বক্তব্য; তাতকৈ আন বেছি একো নহয়।

বিশাল বড়ো জন-গোষ্ঠীৰ লোকসকল অসমৰ প্ৰাচীনতম অধিবাসী-বৃন্দৰ অন্যতম। অসমৰ প্ৰাৰম্ভিক সাংস্কৃতিক ইন্‌ফ্ৰা-ষ্ট্ৰাক্‌চাৰ গঢ়ি তোলাৰ কৃতিত্ব তেওঁলোকেই বেছিকৈ দাবী কৰিব পাৰে। সেই অৰ্থত তেওঁলোকেই আদি আৰু অকৃত্ৰিম অসমীয়া। কিন্তু কাৰ্য্যতঃ দেখা গৈছে যে অসমত বাস কৰা সকলো লোকেই স্বতঃসিদ্ধভাৱে অসমীয়া হৈ নাযায়। ব্যৱহাৰিক অৰ্থত যিসকল লোকৰ মাতৃভাষা অসমীয়া সেইসকল লোক যোৱা এহাজাৰ বছৰ ধৰি গঢ়ি উঠা আৰ্য্য-প্ৰেৰণা-সম্ভূত অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ ভাব-মণ্ডলত ওতঃপ্ৰোতভাৱে সম্পৃক্ত হৈছে, এতিয়া সেইসকল লোকহে প্ৰকৃতাৰ্থত অৰ্থাৎ for all practical purposes অসমীয়া। বাকী লাখ লাখ জনজাতীয় বা উপ-জাতীয় মানুহ শত শত শতাব্দী ধৰি অসমত বাস কৰিও অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰাণ-প্ৰবাহত সম্পূৰ্ণৰূপে লীন যাব নোৱাৰিলে। অসমৰ বুকুৰেদি প্ৰবহমান মহা-বাহু ব্ৰহ্মপুত্ৰৰ দৰে অসমীয়া ভাষা-সাহিত্যই যদিও এই জন-পদ প্লাবিত আৰু সঞ্জীৱিত কৰি ৰাখিছে, আৰু বিভিন্ন উপ-জাতীয় ভাষাবোৰ উপ-নদীৰ দৰে আহি তাত মিলিছেহি, তথাপি সেইবোৰ উপ-ভাষাৰ স্বতন্ত্ৰ অস্তিত্বও সম্পূৰ্ণ অক্ষুণ্ণ অৱস্থাত থাকি গ'ল। ইতিহাসৰ বিভিন্ন যুগত কোনো কোনো বহিৰাগত জনগোষ্ঠীৰ লোকে অসমত স্থায়ীভাৱে বসতি কৰিবলৈ আহি নিজৰ ভাষা-সংস্কৃতি সমূলি পৰিহাৰ কৰি অসমীয়া ভাষা-সাহিত্যক আপোন কৰি লোৱাৰ উদাহৰণ নোহোৱা নহয়। যেনে—আহোম সকল। যেনে- ন অসমীয়া মুছলমান সকল। এইসকলৰ ক্ষেত্ৰত অসমীয়াত্ব গ্ৰহণৰ প্ৰধান কাৰণ আছিল যাইকৈ ৰাজনৈতিক আৰু অৰ্থনৈতিক। কিন্তু অসমৰ আদিম অধিবাসী আৰু এক বিশিষ্ট আৰ্য্যেতৰ সংস্কৃতিৰ ঐতিহ্যবাহী জন-জাতীয় বহুতো লোকৰ ক্ষেত্ৰত এনে কোনো বাহ্যিক বাধ্য-বাধকতা বা অন্তৰোদ্ভূত ধাৰণা নথকাৰ ফলত, বা অন্যান্য বহুতো ঐতিহাসিক কাৰণত, তেওঁলোক অসমীয়া ভাষা-সাহিত্যৰ আন্ত-সীমাত থাকি গ'ল। অসমৰ হৈয়ো তেওঁলোক কিয় সম্পূৰ্ণ 'অসীয়া' হ'ব নোৱাৰিলে বা আজি কিয় তেওঁলোকে এটা স্বতন্ত্ৰ Identity বা আত্ম-পৰিচয় প্ৰতিষ্ঠাৰ কাৰণে ব্যাকুল হৈ পৰিছে তাৰ প্ৰকৃত কাৰণ জানিবলৈ হ'লে তথাকথিত অসমীয়া জাতিৰ মেৰু-দণ্ড স্বৰূপ জাত্যাভিমানী অসমীয়া মধ্য-বিত্ত সমাজে কিছু আত্ম-

বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন হ'ব। সেইটো কৰিলেই তেওঁলোকে বুজিব পাৰিব যে কেৱল নিজৰ পাৱাৰ-ষ্ট্ৰাকচাৰ অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত অসমীয়া জন-সমষ্টিৰ সংখ্যাগত জোৰ দেখুৱাবৰ কাৰণে তেওঁলোকে সুবিধাবাদী মনোবৃত্তিৰে জনজাতি, চাহ-মজদুৰ সমাজ আৰু ন-অসমীয়া মুছলমান লোক সকলক অসমীয়া বুলি ঘোষণা কৰি থাকিলেও তেওঁলোকৰ অৱচেতন জাতিবাদী স্মৃতি আৰু অভিমানে সদায় এখন অদৃশ্য কিন্তু দুৰ্লংঘ্য প্ৰাচীৰৰ দৰে এই দুয়ো শ্ৰেণীৰ লোকক পৃথক কৰি ৰাখিছে। তদুপৰি স্বাধীনতা-লাভৰ পিছত যিসকল জাত্যাভিমানী অসমীয়া মধ্য-বিত্ত শ্ৰেণীৰ হাতত শাসন-ক্ষমতা ন্যস্ত হ'ল, তেওঁলোকে এই অৱহেলিত জনগোষ্ঠীৰ মাজত ব্যাপক জন-শিক্ষাৰ ব্যৱস্থা নকৰি তেওঁলোকক নিৰক্ষৰ কৰি ৰখাৰ ষড়যন্ত্ৰ কৰাৰ ফলতো তেওঁলোকৰ মাজত অসমীয়া ভাষাৰ প্ৰসাৰ বাধা-প্ৰাপ্ত হ'ল। কেৱল সেয়েই নহয়, আৰ্য্যোত্তৰ সংস্কৃতিৰ পীঠ-স্থান অসমত আৰ্য্য উচ্চাভিলাষিকা মনোভাব জীয়াই ৰাখি বিশাল অনাৰ্য্য গোষ্ঠীৰ লোকসকলক মানসিক আৰু সাংস্কৃতিকভাৱে alienated কৰি ৰখাৰ ব্যৱস্থাও কৰা হ'ল। তাৰ এটা মাত্ৰ উদাহৰণ দিলেই যথেষ্ট হ'ব। পঢ়াশলীয়া পাঠ্য-পুথি 'মাধ্যমিক অসমীয়া কবিতা চয়ন' নামৰ কিতাপত ডিম্বেশ্বৰ নেওগৰ 'বৰদোৱা' নামৰ এটা কবিতা আছে। সেই কবিতাৰ এটা পংক্তি হ'ল :

প্ৰপীড়িত, প্ৰতাৰিত, লাঞ্ছিত ই দেশ।
আৰ্য্য-ধৰ্ম তেজ আজি ক'তো অৱশেষ
নেদেখা অকণো। য'ত আবিৰ্ভূত তুমি,
কিয় সেই ভাৰতৰ আদ্য আৰ্য্য-ভূমি
প্ৰাগজ্যোতিষত এনুৱা অনাৰ্য্য লীলা?
মানুহ আমাক দেৱ কিয় নকৰিলা?

'ভাৰতৰ আদি আৰ্য্য-ভূমি'(?) যি প্ৰাগজ্যোতিষৰ বেছিভাগ অধিবাসীয়েই অনাৰ্য্য, যিসকল লোকে স্মৰণাতীত কালৰ পৰাই এক আৰ্য্যেতৰ সভ্যতা-সংস্কৃতিৰ অবিনাশী পৰম্পৰা আৰু স্মৃতি বহন কৰি আহিছে, সেইখন ৰাজ্যৰ 'অনাৰ্য্য' বংশোদ্ভূত ল'ৰা-ছোৱালীক যদি এনে উগ্ৰ জাতিবাদী ভাব-ধাৰা গলাধঃকৰণ কৰিবলৈ বাধ্য কৰোৱা হয়, তেন্তে তেওঁলোকৰ অৱচেতন মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়া সৃষ্টি হোৱা সম্ভৱ? এনে স্থলত মাত্ৰ এটা প্ৰতিক্ৰিয়া হোৱাই সম্ভৱ। বড়ো-কছাৰী, লালুং, মিৰি, কাৰ্বি, চাহ-মজদুৰ আৰু ন-অসমীয়া মুছলমান ল'ৰা-ছোৱালীয়ে এনে ধৰণৰ উগ্ৰ জাতি-বাদী অসমীয়া সাহিত্য পাঠ্য-পুথিত পঢ়ি বিখ্যাত আমেৰিকান নিগ্ৰো লিখক জেমচ্ বলড্‌ইনে অনুভৱ কৰাৰ দৰে অনুভৱ কৰিব : "I was a kind of bastard of the West : when I followed the line of my past, I did not find myself in Europe but in Africa. And this meant that in some subtle way, in a really profound way. I brought to Shakespeare, Bach, Rembrandt, to the stones of paris, to the Cathedral of Chartes, and to the Empire State Building, a special attitude. These were really not my creations, they did not contain my history; I might search them in vain forever for any reflection of myself -- পূজাৰীয়ে মন্দিৰৰ মণিকূটত পূজা কৰি ওলাই আহি বাহিৰত অপেক্ষা কৰি থকা বাহিৰৰ গাতে প্ৰসাদ চটিয়াই দিয়াৰ দৰে অসমীয়া ভাষা-সংস্কৃতিৰ পূজাৰীসকলেও অপাংক্তেয় 'অনাৰ্য্য জনগোষ্ঠীৰ গাতে প্ৰসাদ দলিয়াই দি কেতিয়াও তেওঁলোকক আপোন কৰি লব নোৱাৰে। তেওঁলোকৰো মণিকূটত প্ৰৱেশৰ অধিকাৰ থাকিব লাগিব। আজি যদি অসমৰ এক বিশাল জনগোষ্ঠীয়ে সেই অধিকাৰ নাই পোৱা বুলি অনুভৱ কৰে, তেন্তে দোষটো কেৱল তেওঁলোকৰেই নহয়।

বড়োসকলেই আচল অসমীয়া — এই কথাষাৰ শত-সহস্ৰবাৰ দোহাৰি তেওঁলোকৰ মন ভুলাবলৈ চেষ্টা কৰি থাকোঁতেই বড়োসকলে বেলেগ ৰাজ্য, বেলেগ ভাষা আৰু এতিয়া বেলেগ লিপি পৰ্য্যন্ত দাবী কৰি তেওঁলোকৰ অনা-অসমীয়াত্ব প্ৰতিপন্ন কৰিবলৈ উঠি-পৰি লাগিছে। ইতিমধ্যেই মাধ্যমিক স্তৰ পৰ্য্যন্ত বড়ো ভাষা শিক্ষাৰ মাধ্যম ৰূপে স্বীকৃত হৈছে। ভৱিষ্যতে এদিন ই উচ্চতৰ পৰ্য্যায়তো পঠনীয় বিষয় ৰূপে দাবী তোলাৰ সম্ভাৱনা নোহোৱা নহয়। সেয়ে হ'লে বড়োসকল অসমীয়া হৈ থাকিব কেৱল সেই অৰ্থত—যি অৰ্থত অসমীয়া, বাঙালী, গুজৰাটী, কৰ্ণাটকী সকলো মিলি ভাৰতীয়। ভাবাবেগে আমাৰ দৃষ্টি বাষ্পাকুল কৰি নুতুলিলে আমি এই বাস্তৱ সত্যও স্বীকাৰ কৰি ল'ব পাৰিম যে বড়ো ভাষা অসমীয়াৰ সহোদৰা বা নিকট-আত্মীয়া নহয়; বড়ো ভাষাৰ এটা বৰ্ণ-বিসৰ্গও সৰ্বসাধাৰণ অ-বড়ো অসমীয়াই বুজি নাপায়। তেনেস্থলত বড়ো ভাষাই যদি নিজৰ স্বাতন্ত্ৰ্য প্ৰতিপন্ন কৰি নিজৰ বিকাশৰ পথ নিজে বাছি ল'ব খোজে, তেন্তে তেওঁলোকে কি লিপি গ্ৰহণ কৰিব সেই বিষয়ে তেওঁলোকক উপদেশ দিবলৈ বা জোৰ কৰিবলৈ আনৰ কিবা নৈতিক অধিকাৰ আছেনে? ৰোমান লিপিত নিলিখি অসমীয়া লিপিত বড়ো সাহিত্য লিখিলেই কেইজন অসমীয়া মানুহে বড়ো সাহিত্য পঢ়িব? মণিপুৰী সাহিত্য বাংলা-অসমীয়া লিপিত লিখিত হোৱা সত্ত্বেও কেইজন বাঙালী বা অসমীয়া পাঠকে মণিপুৰী সাহিত্যৰ খবৰ ৰাখে? বড়ো ভাষাত কেতিয়াবা উৎকৃষ্ট সাহিত্য সৃষ্টি হ'লেও কেৱল লিপি একে হোৱাৰ কাৰণেই অসমীয়া পাঠকে কেতিয়াও তাৰ ৰসাস্বাদন কৰিব নোৱাৰিব; দুয়োটা ভাষা-ভাষী লোক-গোষ্ঠীৰ ভাব-বন্ধনৰ একমাত্ৰ সেতু হ'ব লাগিব অনুবাদ।

কোনো ভাষা-বৈজ্ঞানিক যুক্তিৰে বড়োসকলক অসমীয়া লিপি গ্ৰহণ কৰিবলৈ পতিয়ন নিয়াব পৰা নাযাব। কাৰণ মূলতে ই এটা গভীৰ-প্ৰোথিত আবেগৰ প্ৰশ্ন। বড়ো ভাষা-সাহিত্যৰ বিকাশৰ দায়িত্ব বড়ো লেখক আৰু বুদ্ধিজীৱীসকলৰ। কোনো অসমীয়া সাহিত্য-সেৱীয়ে সেই দায়িত্ব ল'বলৈ নাযায়। বিভিন্ন লিপিৰ তুলনামূলক উৎকৰ্ষ বা উপযোগিতা বিচাৰৰ প্ৰশ্নও ইয়াত অবান্তৰ। বহুতো পণ্ডিতে সংস্কৃত লিপিকে বৈজ্ঞানিক বিচাৰত সৰ্বোৎকৃষ্ট বুলি ৰায় দিয়াৰ পিছতো আজি বিশ্বৰ জনপ্ৰিয়তম লিপি ৰোমানহে, সংস্কৃত নহয়। আনহাতে সৰ্ব-শ্ৰেষ্ঠ ইংৰাজ লেখকো নিজৰ লিপি অৰ্থাৎ ৰোমান লিপিক লৈ সন্তুষ্ট নহয়। জৰ্জ বাৰ্ণাড শ্বই ইংৰাজী ভাষাৰ চাব্বিশটা বৰ্ণৰ চল্লিশটা বৰ্ণ প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ দিছিল, আৰু সেই উদ্দেশ্যে তেওঁ উইল কৰি কিছু ধনো থৈ গৈছিল। চিৰ-অতৃপ্ত আৰু চিৰ জিজ্ঞাসু মানব-মনে কেতিয়াও নিজৰ থকাখিনিকে লৈ সন্তুষ্ট থাকিব নোৱাৰে। ৰোমান লিপি বিদেশী আৰু গতিকে সি জাতীয় সংস্কৃতিৰ অন্তৰায় বুলি কোৱাৰো কোনো যুক্তি নাই। ইংৰাজী ভাষাই এতিয়াও ভাৰতৰ প্ৰধানতম ঐক্য-সূত্ৰ আৰু সাহিত্য অকাডেমীৰ দ্বাৰা সি স্বীকৃত ভাৰতীয় ভাষা। তেনেস্থলত কেৱল বড়োসকলে ৰোমান লিপি ল'লেই মহাভাৰত অশুদ্ধ হ'ব নোৱাৰে। গতিকে আমি ভাবোঁ যে অনাহকত তিক্ততা আৰু মনোমালিন্যৰ সৃষ্টি নকৰি বড়োসকলক নিজৰ পছন্দমতে লিপি বাছি ল'বলৈ সম্পূৰ্ণ অধিকাৰ দিব লাগে।

ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে 'বড়ো সাহিত্য সভা'ৰ জনৈক কৰ্ম-কৰ্তালৈ লিখা এখন চিঠি ঘটনাক্ৰমে আমাৰ হাতত পৰিছেহি। আমি ভাবোঁ যে তেওঁ সেই চিঠিত দিয়া সুচিন্তিত পৰামৰ্শই এই বিষয়টোৰ একমাত্ৰ সমাধান-সূত্ৰ হোৱা উচিত। চিঠিখনৰ পূৰ্ণ-পাঠ তলত দিয়া হ'ল : "১৯৭০ চনৰ ২৪ জুলাই তাৰিখে আপুনি লিখা চিঠি আজি পুৱা মই পালো। তাৰ কাৰণে অশেষ ধন্যবাদ।

ৰোমান লিপি সমিতিৰ সভাপতি হিচাবে মই ভাৰত আৰু পাকিস্তানৰ বিভিন্ন অঞ্চলত কথিত বড়ো ভাষাৰ একমাত্ৰ লিপি হিচাবে ৰোমান লিপি গ্ৰহণ কৰাৰ প্ৰস্তাৱ সৰ্বান্তঃকৰণেৰে সমৰ্থন কৰোঁ। সংস্কৃতকে

ধৰি সকলোবোৰ ভাৰতীয় ভাষাৰ কাৰণে ৰোমান লিপিকে মই আদৰ্শ লিপি বুলি ভাবোঁ। কিন্তু এই লক্ষ্যত উপনীত হ'বলৈ দীঘল সময় লাগিব।

কিন্তু কেৱল যদি ৰোমান লিপিকে শিকোৱা হয়, তেন্তে তাৰ এটা ডাঙৰ অসুবিধাৰ কথাও আমি পাহৰি যাব নালাগিব। বংগদেশ আৰু অন্যান্য অঞ্চলৰ অন্যান্য অনাৰ্য্য-ভাষী লোক-গোষ্ঠীৰ দৰে বড়ো সকলো এটা সংখ্যা-লঘু সম্প্ৰদায়, আৰু তেওঁলোকে বিভিন্ন উদ্দেশ্যৰ কাৰণে অসমীয়া ভাষা অধ্যয়ন নকৰাকৈ কেতিয়াও থাকিব নোৱাৰে অসমীয়াৰ অবিহনে (বংগদেশত বাংলাৰ অবিহনে) অনাৰ্য্য-ভাষী কোনো ব্যক্তিৰ পক্ষেই নিজৰ ৰাজ্যত এজন সৎ নাগৰিকৰ পূৰ্ণাংগ জীৱন যাপন কৰাটো সম্পূৰ্ণ অসম্ভৱ। এই বিষয়ে মই বহুলাই কোৱাৰ কোনো প্ৰয়োজন নাই, আপুনি নিজেই বুজিব। সেই কাৰণে ৰোমান লিপি গ্ৰহণ কৰিলেও বড়োসকল দ্বি-ভাষী হৈ থকাটো উচিত কথা হ'ব; নিজৰ মাতৃভাষাৰ কাৰণে তেওঁলোকে ৰোমান লিপি ব্যৱহাৰ কৰিব, কিন্তু তাৰ লগে লগে অসমীয়া ভাষা শিকিবৰ কাৰণে তেওঁলোকে অসমীয়া লিপি ব্যৱহাৰ কৰিব। সি যি কি নহওক, আপোনাসকলে যি সাহসী প্ৰচেষ্টা ল'বলৈ সিদ্ধান্ত কৰিছে, মই তাৰ কৃতকাৰ্য্যতা কামনা কৰোঁ।"

০ ০ ০ ০ ০

ইমানখিনি কোৱাৰ পিছতো আমি বড়ো আৰু অন্যান্য জনজাতীয় লোকসকলৰ প্ৰতি এষাৰ সাৱধানবাণী উচ্চাৰণ কৰি থ'ব খোজোঁ। ইজৰাইলৰ ইহুদীসকলে হাজাৰ বছৰ ধৰি মৃত হৈ থকা হিব্ৰু ভাষাক পুনৰুজ্জীবিত কৰি তাক ৰাষ্ট্ৰ-ভাষাৰ মৰ্যাদা দিছে; এহাতে অনুকূল ৰাজনৈতিক পৰিবেশ আৰু আনহাতে বহু শত শতাব্দীৰ সাধনাৰ ফলত সেই ভাষা-সাহিত্য সম্পদশালী হৈ থকাৰ কাৰণেহে সি সম্ভৱ হৈছে। কিন্তু আনহাতে আইৰিছ জাতীয়তা-বাদৰ উন্মাদনাময় উন্মেষৰ সময়ত সহস্ৰাধিক বছৰৰ সাহিত্য-সম্পদেৰে চহকী প্ৰাচীন অথচ প্ৰচলিত আইৰিচ্ ভাষাক পুনৰুজ্জীবিত কৰাৰ চেষ্টা কেনেকৈ ব্যৰ্থ হৈছে, সেই কথা ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়েই লিখি থৈ গৈছে (১৩৭০ বংগীয় সাল, শাৰদীয় দেশ পত্ৰিকা)। মৌখিক ভাষা এটাক লিখিত সাহিত্যৰ ৰূপ দি তাক আধুনিক কালৰ বিপুলায়তন জ্ঞান-বিজ্ঞান চৰ্চাৰ উপযোগী ভাষা কৰি তোলাটো এক প্ৰকাৰে অসম্ভৱ আৰু দুঃসাধ্য ব্যাপাৰ। এনে চেষ্টাৰ দ্বাৰা বিশেষ জনগোষ্ঠীৰ আত্মাভিমান তৃপ্ত হ'ব পাৰে, কিন্তু যুক্তিবাদী দূৰদৃষ্টিৰ ঠাইত অত্যধিক আৱেগাতিশয্যক প্ৰশ্ৰয় দিবলৈ গৈ অনাগত কেইবা পুৰুষৰো বৌদ্ধিক বিকাশ পংগু কৰি তোলাও হ'ব পাৰে। দাৰ্শনিক লাড্ৱিগ্ ভিট্‌গেন্‌ষ্টাইনৰ এষাৰ কথা প্ৰত্যেক জ্ঞান-প্ৰেমী মানুহেই সততে মনত ৰখা উচিত : The limits of my language mean the limit of my world. — অসমৰ যিবোৰ জনজাতীয় ভাষাৰ শব্দ-সম্ভাৰ মাত্ৰ দুহাজাৰৰ পৰা দহ হাজাৰৰ মাজত সীমাবদ্ধ, তেওঁলোকৰ জ্ঞান আৰু চিন্তাৰ জগতো চিৰকাল সীমাবদ্ধ হৈ থাকিবলৈ বাধ্য। কিন্তু মানুহৰ জন্মগত মৌলিক অধিকাৰবোৰৰ ভিতৰত এটা প্ৰধান অধিকাৰ হ'ল ভুল কৰাৰ অধিকাৰ, এক্সপেৰিমেণ্ট কৰাৰ অধিকাৰ। চেষ্টা কৰাৰ অধিকাৰটো আছেই। বড়োভাষা বা আন কোনো ভাষাৰ মৃত্যুতো আমি কামনা নকৰোঁৱেই, বৰং অবিৰাম তপশ্চৰ্য্যাৰ দ্বাৰা যদি আৰু কেইটামান সমৃদ্ধ ভাষা-সাহিত্য গঢ়ি উঠে, সি সমগ্ৰ মানব-জাতিৰ কাৰণেই আনন্দৰ কথা হ'ব। আমি বড়োভাষাৰ উত্তৰোত্তৰ বিকাশ কামনা কৰোঁ। সেই বিকাশৰ দায়িত্ব যিসকল লোকে লৈছে, লিপি নিৰ্বাচনৰ অধিকাৰো কেৱল তেওঁলোকৰেই আছে, আন কাৰো নাই। আমি কেন আইতকৈ মাহী-আইৰ আদৰ বেছি বুলি দেখুৱাবলৈ গৈ নিজকে হাঁহিয়াতৰ পাত্ৰ নকৰোঁ।

অসমৰ ৰাজনৈতিক বতৰ এতিয়াও ফৰকাল নহয়

দিল্লীৰ পৰা উভতি আহি যোৱা ১২ নবেম্বৰৰ দিনা মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহই এখন সাংবাদিক মেলত কয় যে এড্‌হক কংগ্ৰেছ বা মন্ত্ৰীসভাৰ আকৌ পুনৰ্বিন্যাস সম্বন্ধে তেওঁ একো নাজানে। তেওঁৰ মতে, প্ৰধান মন্ত্ৰী, কংগ্ৰেছ সভাপতি বা প্ৰদেশ কংগ্ৰেছৰ প্ৰধান কোনোৱেই এনে সম্ভাৱনাৰ বিষয়ে অবহিত নহয় — কিন্তু বাতৰি কাকতত সদায় এইবোৰ সংবাদ ওলাই আছে। এই প্ৰসঙ্গতে কংগ্ৰেছ বিধায়কসকলৰ একাংশৰ স্বাক্ষৰ সংগ্ৰহ অভিযানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, এই ধৰণৰ সংবাদ প্ৰায়েই নিৰ্ভৰযোগ্য নহয় বুলি তেওঁৰ ধাৰণা আৰু ৰাজ্যৰ প্ৰগতিৰ বাবে অনুকূল বাতাবৰণ এই প্ৰক্ৰিয়াৰ দ্বাৰা সৃষ্টি হ'ব নোৱাৰে।

স্থানীয় এখন দৈনিক বাতৰি কাকতৰ এজন প্ৰতিনিধিয়ে তেতিয়া মুখ্যমন্ত্ৰীক সোধে, তেওঁৰ মন্ত্ৰিসভাৰ কোনোবা বিশিষ্ট সদস্যই যদি সাংবাদিকক মাতি আনি তেওঁৰ আগৰ দপ্তৰ বণ্টন লৈ অসন্তোষ প্ৰকাশ কৰে আৰু পুৰণি দপ্তৰ ঘূৰাই পাবৰ বাবে দিল্লীলৈ গৈ আছে বুলি ঘোষণা কৰে, তেতিয়া সাংবাদিকজনে কি কৰিব? মুখ্যমন্ত্ৰীয়ে অলপ পৰ নীৰবে থাকি কয়, সেইটো মন্ত্ৰীজন আৰু সাংবাদিকজনে স্থিৰ কৰিব।

অসম প্ৰদেশ কংগ্ৰেছ কমিটি 'এড্‌হক' কৰাৰ প্ৰস্তাৱ স্থগিত ৰখা হ'ল কিয়?

মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ এইবাৰ এসপ্তাহতকৈও সৰহ দিন দিল্লীত আছিল। কমপক্ষেও আধা ডজন মন্ত্ৰী নবেম্বৰৰ প্ৰথম সপ্তাহত চৰকাৰী কাৰ্য্যত কিন্তু ৰাজনৈতিক প্ৰয়োজনত দিল্লীলৈ গৈছিল। মন্ত্ৰিসভাৰ স্থায়িত্ব লৈ অধিকাংশ মন্ত্ৰীৰ মনত সন্দেহ আৰু সংশয় আছে আৰু সেই কাৰণে আনকি মুখ্যমন্ত্ৰীৰ বিশ্বস্ত মন্ত্ৰীসকলেও ভৱিষ্যৎ নিৰাপত্তাৰ বাবে কংগ্ৰেছ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাৰ অনুগ্ৰহ বিচাৰিছে। কিন্তু অসম কংগ্ৰেছৰ পুনৰ্গঠনৰ প্ৰশ্নত দেখা গ'ল কংগ্ৰেছৰ সাংগঠনিক ৰাজনীতিত শ্ৰীবৰুৱাই যি খুচি তাকে কৰিব নোৱাৰে। কংগ্ৰেছ সভাপতিৰ কাৰ্য্যভাৰ গ্ৰহণৰ আগে আগে শ্ৰীবৰুৱাই গুৱাহাটীত প্ৰদেশ কংগ্ৰেছৰ বৰ্তমান সভাপতি আৰু সাধাৰণ সম্পাদকক অনতিপলমে 'খেদা'ৰ সঙ্কল্প বন্ধু— বান্ধৱ আৰু কৰ্মীসকলৰ মেলত ঘোষণা কৰিছে। কংগ্ৰেছ সভাপতি হোৱাৰ পাছত অসম প্ৰদেশ কংগ্ৰেছ এড্‌হক কৰিবলৈ তেওঁ স্থিৰ কৰে আৰু মুখ্যমন্ত্ৰীৰ ফালৰ পৰা প্ৰথমতে শ্ৰীৰবীন নবীচৰ আৰু তাৰ পাছতে শ্ৰীগজেন তাঁতীৰ নাম এড্‌হক সভাপতিৰ বাবে প্ৰস্তাৱ কৰা হৈছিল। কিন্তু কংগ্ৰেছ সভাপতিয়ে তেওঁৰ ঘনিষ্ঠ সহযোগী শ্ৰীতিলক গগৈক এই পদত মনোনীত কৰাৰ সিদ্ধান্ত লয় আৰু সেই অনুসাৰে শ্ৰীগগৈক দিল্লীলৈ মাতি পঠায়। প্ৰকাশ, বৰ্তমান দপ্তৰহীন মন্ত্ৰী শ্ৰীউমাশঙ্কৰ দীক্ষিত অসমৰ কেইজনমান নেতাৰ পৰামৰ্শ অনুসাৰে এই সিদ্ধান্তত মান্তি হোৱা নাই। (শ্ৰীদীক্ষিত প্ৰধান মন্ত্ৰীৰ একান্ত বিশ্বাসভাজন আৰু তেওঁক দপ্তৰহীন মন্ত্ৰী কৰা হৈছে যাইকে সংগঠনৰ কামত অধিক সময় নিয়োগ কৰাৰ সুবিধাৰ বাবে— কংগ্ৰেছ মহলত তেওঁ 'দ্বিতীয় সভাপতি' নামেৰে পৰিচিত) এনে অৱস্থাত নিজৰে মনোনীত প্ৰাৰ্থীক নিজা ৰাজ্যত সভাপতি পাতিবলৈ ব্যৰ্থ হৈ শ্ৰীবৰুৱাই এড্‌হক গঠনৰ প্ৰস্তাৱেই পৰিত্যাগ কৰিছে। শ্ৰীগগৈ সহ এড্‌হক কংগ্ৰেছৰ সভাপতি পদৰ প্ৰত্যাশী আন আন প্ৰাৰ্থীক তেওঁ এতিয়া কৈছে যে, সাংগঠনিক নিৰ্বাচন যিহেতু অনুষ্ঠিত হ'বলগীয়া আছে,গতিকে মাত্ৰ দুমাহৰ আগতে এড্‌হক কৰাটো ঠিক নহ'ব। এইবোৰ কথা মুখ্যমন্ত্ৰীয়ে নজনা নহয়, অৱশ্যে স্মৰণ কৰা নকৰাটো তেওঁৰ ব্যক্তিগত অভিৰুচি।

অসম মন্ত্ৰীসভাৰ পুনৰ সম্প্ৰসাৰণৰ প্ৰশ্নও কিছুদিনলৈ স্থগিত?

মন্ত্ৰীসভাৰ সাম্ভাব্য পুনৰ্বিন্যাস সম্বন্ধে মুখ্যমন্ত্ৰীয়ে "একো ক'বনোৱাৰা" অৱস্থাৰ বিষয়ে অৱশ্যে বুজি পাবলৈ টান নহয়। এই কথা এতিয়া সৰ্বজনবিদিত যে বৰ্তমানৰ সম্প্ৰসাৰিত মন্ত্ৰীসভা আৰু তাৰ সদস্য নিৰ্বাচন মূলতে মুখ্যমন্ত্ৰীৰ ইচ্ছা অনিচ্ছাৰ ওপৰত নিৰ্ভৰশীল নাছিল। সেইকাৰণে অক্টোবৰত মন্ত্ৰীসভা সম্প্ৰসাৰণৰ পাছতে যেতিয়া মুখ্যমন্ত্ৰীয়ে আকৌ পুনৰ্বিন্যাসৰ ইংগিত দিলে, তেতিয়া মন্ত্ৰিত্ব প্ৰত্যাশী বিধায়কসকলে দিছপুৰৰ পিনে নগৈ 'তীৰ্থযাত্ৰা' কৰিলে দিল্লী অভিমুখে : শ্ৰীদেৱকান্ত বৰুৱাৰ দৰ্শনাভিলাষত। পৰিবহন দপ্তৰ শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ডৰ দিয়াত উজনি অসমৰ সাংগঠনিক ৰাজনীতিত তেওঁৰ দুজন প্ৰতিদ্বন্দ্বী, ক্ষুব্ধ হৈ শিৱসাগৰ আৰু ডিব্ৰুগড়ৰ পৰা গৈ বৰুৱাদেৱৰ হস্তক্ষেপ বিচাৰে। আনফালে প্ৰাক্তন পৰিবহন মন্ত্ৰী শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰেও পুৰণি দপ্তৰ হেৰোৱাত বেয়া পাইছিল— তেখেতো চৰকাৰী কামত দিল্লী পায়গৈ। মন্ত্ৰী হোৱাৰ লগে লগে দপ্তৰ হেৰুওৱাৰ আশংকা দেখি শ্ৰীখাউণ্ড দিল্লীলৈ যাবলৈ বাধ্য হয় আৰু শ্ৰীবৰুৱাৰ পৰা নিৰাপত্তাৰ আশ্বাস লৈ উভতি আহে। মন্ত্ৰিত্ব প্ৰত্যাশী বিধায়কসকলৰ দিল্লী যাত্ৰা সফল হৈছে বুলি তেতিয়া প্ৰতীয়মান হৈছিল। কংগ্ৰেছ সভাপতিয়ে পোনপটীয়াভাৱে একাধিক বিধায়কক এই প্ৰতিশ্ৰুতি দিয়ে যে আকৌ সাতজন মন্ত্ৰী লোৱা হ'ব আই, এন, টি, ইউ, চি,ৰ পৰা চাৰিজন, মংগলদৈৰ (স্থানীয়) এজন, মৰিগাঁৱৰ এজন আৰু কাছাৰৰ এজন। মন্ত্ৰীসভা সম্প্ৰসাৰণৰ ক্ষেত্ৰত যেনেকৈ মুখ্যমন্ত্ৰীৰ মত লোৱাৰ বিশেষ প্ৰয়োজন হোৱা নাছিল, এই প্ৰতিশ্ৰুতিও তেনেকৈয়ে মুখ্যমন্ত্ৰীৰ অজ্ঞাতসাৰেই দিয়া হৈছিল। কিন্তু ইতিমধ্যে মন্ত্ৰীসভা সম্প্ৰাৰণৰ প্ৰশ্ন লৈ ৰাইজৰ মাজত অত্যন্ত বিৰূপ প্ৰতিক্ৰিয়া হোৱাত সম্প্ৰতি এই প্ৰস্তাৱৰ কাৰ্য্যকৰী কৰণ কিছুদিনলৈ স্থগিত ৰখা হৈছে— উপযুক্ত সময়ত অলপ ইফাল সিফাল কৰি হ'লেও কামফেৰা কৰা হ'ব। মন্ত্ৰিসভা পুনৰ্বিন্যাসৰ বাবে অনুমতি লৈ মন্ত্ৰিসভাৰ কলেৱৰ অস্বাভাৱিক ধৰণে বৃদ্ধি কৰাৰ কথাটো প্ৰধানমন্ত্ৰীয়েও ভাল পোৱা নাই বুলি ওৱাকিবহাল মহলৰ ধাৰণা।

অন্তৰ্বিবাদত জৰ্জৰিত অসম মন্ত্ৰীসভা

শ্ৰীশৰৎচন্দ্ৰ সিংহৰ মন্ত্ৰিসভাত এতিয়া আভ্যন্তৰীণ সংহতি সম্পূৰ্ণৰূপে নাইকিয়া হৈ গৈছে আৰু পাৰস্পৰিক সন্দেহ অবিশ্বাস আৰু সংশয় ক্ৰমাৎ বাঢ়ি আহিছে। মন্ত্ৰীসভাৰ স্থায়িত্ব লৈ সন্দিহান হোৱাৰ ফলত মুখ্যমন্ত্ৰীৰ প্ৰতি অধিকাংশ মন্ত্ৰীৰ আনুগত্য নিতান্ত সাময়িক আৰু কৌশলগত (tactical) হৈ পৰিছে। ভৱিষ্যত ৰাজনৈতিক নিৰাপত্তাৰ বাবে প্ৰত্যেকেই ক্ষমতাত থকা অৱস্থাত ব্যক্তিকেন্দ্ৰিক সাংগঠনিক ভেটি তৈয়াৰ কৰি আছে। ৰাজনৈতিক মহলৰ দৃঢ় ধাৰণা যে প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে লোকসভা নিৰ্বাচন আকৌ পতাৰ আগে আগে এই মন্ত্ৰীসভা ভাঙি দিব, আৰু সেই ধাৰণাৰে বশৱৰ্তী হৈ মন্ত্ৰীসভাৰ বিশিষ্ট সদস্যসকলে যদি মুখ্যমন্ত্ৰীৰ পদৰ সাম্ভাব্য প্ৰাৰ্থীসকলৰ সৈতে (শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ বিৰাগভাজন হোৱাৰ আশংকা সত্বেও) পুনৰ সদ্ভাৱ প্ৰতিষ্ঠা কৰিব খোজে, তাত সঁচাকৈ কোনো দোষ নাই। এই অৱস্থাত মুখ্যমন্ত্ৰী সন্দেহবাতিকগ্ৰস্ত হোৱাটো স্বাভাৱিক। এজন বিশিষ্ট মন্ত্ৰীয়ে অলপতে সৰ্বভাৰতীয় ক্ষেত্ৰত সৰ্বোচ্চ পদাধিকাৰী এজন অসমৰ নেতাক লগ ধৰি ধৰি এই বিষয়ে তেওঁৰ পৰামৰ্শ বিচাৰে। সৰ্বোচ্চ পদাধিকাৰী নেতাগৰাকীয়ে তেওঁক অনতিপলমে পদত্যাগৰ উপদেশ দিয়ে আৰু মুখ্যমন্ত্ৰীৰ উদাসীন আৰু ব্যৰ্থ নেতৃত্বৰ বিৰুদ্ধে যুঁজ দিবলৈ কয়। উল্লেখযোগ্য যে বৰ্তমান মুখ্যমন্ত্ৰী এই সৰ্বোচ্চ পদাধিকাৰী নেতাগৰাকীৰে পৃষ্ঠপোষকতাত ৰাজনীতিত সুপ্ৰতিষ্ঠিত হৈছিল।

নিজ মন্ত্ৰীসভাত এই আনুগত্যৰ সংকটে স্বাভাৱিকতে সংগঠনৰ সৰ্বক্ষেত্ৰত বিস্তাৰ লাভ কৰিছে আৰু

ফলত ৰাজনৈতিক ভাৰসাম্য ৰক্ষা কৰাটো মুখ্যমন্ত্ৰীৰ পক্ষে এতিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ হৈ পৰিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী, বৰ্তমান পঞ্জাবৰ ৰাজ্যপাল শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীৰ প্ৰস্তাৱিত অসম ভ্ৰমণক তেওঁ সেই কাৰণেই সোৎসাহে সমৰ্থন কৰিব পৰা নাই। অসমৰ খাদ্য সঙ্কট সমাধানৰ বাবে পঞ্জাবৰ পৰা চাউল আৰু অন্যান্য খাদ্যসামগ্ৰী প্ৰেৰণত ৰাজ্যপাল শ্ৰীচৌধুৰীৰ ভূমিকাৰ কোনো স্বীকৃতি এতিয়ালৈকে দেখা নাই। দৰাচলতে, শ্ৰীচৌধুৰীৰ অবিহনে ইমান সোনকালে পৰ্য্যাপ্ত পৰিমাণৰ চাউল পঞ্জাবৰ পৰা পোৱা কোনোমতেই সম্ভৱ নহ'লহেঁতেন। অক্টোবৰ মাহত শ্ৰীচৌধুৰীয়ে মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহলৈ এখন চিঠি লিখি অসমলৈ আহিব খোজে আৰু ধুবুৰীৰ অৱস্থা নিজ চকুৰে চাই যাবলৈ বিচাৰে। (প্ৰকাশ যে সম্ভৱ হ'লে পঞ্জাবৰ মুখ্যমন্ত্ৰী বা যোগান মন্ত্ৰীক লৈ তেওঁৰ অসমলৈ অহাৰ ইচ্ছা আছিল।. নিজে দুৰ্ভিক্ষাৱস্থা দেখি গ'লে তেওঁলোকে স্বেচ্ছাৰে অধিক পৰিমাণৰ চাউল পঠোৱাৰ ব্যৱস্থা কৰিব বুলি তেওঁ ভাবিছিল।) কিন্তু অসমৰ মুখ্যমন্ত্ৰীয়ে শ্ৰীচৌধুৰীক এখন 'শীতল' চিঠিৰ যোগেদি প্ৰকাৰান্তৰে তেওঁক অসমলৈ আহিবলৈ নিৰুৎসাহ কৰে। ফলত, শ্ৰীচৌধুৰীয়ে প্ৰস্তাৱিত চফৰ বাতিল কৰি দিয়ে। উল্লেখ নিষ্প্ৰয়োজন যে শ্ৰীচৌধুৰীৰ চফৰে অসমৰ বৰ্তমান ৰাজনৈতিক ভাৰসাম্য বিনষ্ট কৰিব পাৰে বুলি তেওঁ আশঙ্কা কৰিছিল।

বিসম্বাদীসকলৰ এতিয়া ষ্ট্ৰেটেজী কি?

সংগঠনৰ বিসম্বাদী আৰু বিধায়িনী দলৰ বিসম্বাদী আৰু লগতে অসন্তুষ্ট মন্ত্ৰীসকলৰ জৰিয়তে কিন্তু ৰাজনৈতিক ভাৰসাম্য বিনষ্ট হোৱাৰ লক্ষণ ক্ৰমে প্ৰকট হৈ উঠিছে। বিসম্বাদী গোষ্ঠীৰ সঁজাতি দল এইবাৰ দিল্লীলৈ কংগ্ৰেছ সভাপতিৰ পৰা একো আশা কৰি যোৱা নাছিল। সেইবাবে তেওঁলোকৰ ব্যৰ্থতাৰ প্ৰশ্নও উঠা নাই। অৱশ্যে তেওঁলোকক কংগ্ৰেছ সভাপতিয়ে অসম প্ৰদেশ কংগ্ৰেছ 'এড হক্' কৰা নহ'ব বুলি খাটাংকৈ জনোৱা নাই আৰু অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্য্যকলাপ সম্পৰ্কে বুজ-বাজ লৈ এখন প্ৰতিবেদনৰ যুগুত কৰিবৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ এজন কৰ্মকৰ্ত্তাক অসমলৈ পঠিওৱা হ'ব বুলিহে ইঙ্গিত দিয়ে।

বিধায়িনী দলৰ বিসম্বাদীসকলৰ সৈতে লগ লাগি সংগঠনৰ বিসম্বাদীসকলে এতিয়া প্ৰদেশ কংগ্ৰেছ আৰু চৰকাৰক প্ৰত্যাহ্বান জনোৱাৰ সম্ভাৱনাহে স্পষ্ট হৈ উঠিছে। কাছাৰত বেলেগে অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰ বিৰোধী এখন 'কন্ ভেন্ চন' সম্প্ৰতি হৈ গৈছে। শ্ৰীবিশ্বদেৱ শৰ্মা আৰু শ্ৰীৰথীন সেনৰ নেতৃত্বৰ বিসম্বাদী গোষ্ঠীয়ে অহা ডিচেম্বৰত এখন সদৌ অসম অভিবৰ্তন পতাৰ কথা বিবেচনা কৰি আছে। প্ৰতিখন জিলা কংগ্ৰেছত, আৰু বিধায়িনী দলত বেলেগ বেলেগ কাৰণত যিবোৰ বিসম্বাদী উপদল আছে, সেইবোৰৰ মাজত এটা ঐক্যসূত্ৰ স্থাপন কৰিবলৈ অসমৰ্থ হ'লে বিসম্বাদীসকলে এটা স্বয়ংনিৰ্ভৰশীল ৰাজনৈতিক শক্তি হিচাপে আত্মপ্ৰকাশ কৰাৰ সম্ভাৱনা আছে। বিসম্বাদীসকলৰ বোধকৰো আনকোনো উপায়ো এতিয়া নাই; মাজবাটতে যাত্ৰাবিৰতি হ'লে তেওঁলোকৰ ৰাজনৈতিক অস্তিত্ব সম্পূৰ্ণ নাইকিয়া হৈ যাব সেই কাৰণে যেনতেন প্ৰকাৰেণ কংগ্ৰেছ ৰাজনীতিৰ বৰ্তমান শক্তিসাম্য বিনষ্ট কৰাই এতিয়া তেওঁলোকৰ একমাত্ৰ ৰাজনীতি হ'ব।

বড়োসকলৰ ৰোমান-লিপি আন্দোলনৰ ৰাজনৈতিক তাৎপৰ্য্য

বড়ো সাহিত্য সভাৰ নেতৃত্বাধীন বড়ো লোকসকলে যোৱা কেইবা বছৰ ধৰি তেওঁলোকৰ ভাষাৰ কাৰণে ৰোমান লিপিৰ দাবীত বিক্ষিপ্তভাৱে আন্দোলন চলাই আহিছে। যোৱা ১৮ নৱেম্বৰৰ পৰা এই আন্দোলনৰ শেহতীয়া পৰ্য্যায় আৰম্ভ হয়। এই আন্দোলন আৰম্ভ হোৱাৰ কেইদিনমানৰ ভিতৰতে কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ আৰু বড়ো বিক্ষোভকাৰী সকলৰ মাজত হোৱা সংঘৰ্ষৰ ফলত ৯ জন বড়ো জনজাতীয় লোক আৰু ২ জন পুলিচ নিহত হয়। যি কোনো সামাজিক বা সামূহিক দাবীত শান্তিপূৰ্ণভাৱে আন্দোলন কৰাৰ অধিকাৰ এটা গণতান্ত্ৰিক অধিকাৰ আৰু তেনে আন্দোলনত পুলিচৰ গুলী-বৰ্ষণত মানুহে প্ৰাণ হেৰুৱাব লগাটো নিশ্চয় এটা দুৰ্ভাগ্যজনক ঘটনা। বড়ো বিক্ষোভকাৰীসকলে তেওঁলোকৰ আন্দোলন সম্পূৰ্ণ শান্তি-পূৰ্ণ আৰু নিৰস্ত্ৰ আছিল বুলি দাবী কৰিছে। কিন্তু নিৰস্ত্ৰ বিক্ষোভকাৰীসকলৰ হাতত কেনেকৈ দুজন পুলিচৰ মৃত্যু হ'বলৈ পালে--সেই প্ৰশ্নই স্বাভাৱিকতেই বহুতৰ মনত নানা সন্দেহ জগাই তুলিছে। আমি সদ্যহতে সেই বিবদমান প্ৰশ্নৰ মাজলৈ যাব নোখোজোঁ। বিভিন্ন ধৰণৰ গণ-আন্দোলন দমন কৰাত কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচৰ ভূমিকাই ইতিমধ্যেই সমগ্ৰ দেশব্যাপী তীব্ৰ অসন্তোষ আৰু বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দেশত বিভিন্ন ধৰণৰ ... বাঢ়ি অহাৰ লগে লগে স্বাভাৱিকতেই গণ-বিক্ষোভৰ পৰিমাণো বাঢ়ি আহিছে আৰু নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব নকৰাকৈ আইন-শৃংখলা ৰক্ষা কৰাৰ প্ৰশ্নটো চৰকাৰৰ কাৰণেও এটা জটিল সমস্যা হৈ দেখা দিছে। উচ্ছৃংখল হিংস্ৰ জনতাক নিয়ন্ত্ৰিত কৰিবলৈ চৰকাৰে এতিয়ালৈকে গুলী-বৰ্ষণকেই একমাত্ৰ উপায় বুলি গণ্য কৰি আহিছে। সংসদত অলপতে শ্ৰীএন জি গোৰেই কোৱাৰ দৰে পৃথিৱীৰ আন কোনো দেশতেই বোধহয় ভাৰতত হোৱাৰ দৰে ব্যাপক হাৰত পুলিচী গুলী-বৰ্ষণ নঘটে, কাৰণ ভাৰতত মানুহৰ জীৱনৰ কোনো মূল্য নাই। পুলিচৰ গুলিত এজন মানুহ হত্যা কৰিবলৈ মাত্ৰ ৫০ পইচা খৰচ পৰে। উন্মত্ত জনতাক নিয়ন্ত্ৰিত কৰিবলৈ (যথা—সাম্প্ৰদায়িক সংঘৰ্ষত) চৰকাৰে উন্নত বৈজ্ঞানিক পদ্ধতিৰ বিকল্প মানবিক উপায় উদ্ভাৱন কৰিবলৈ চেষ্টা কৰা উচিত; অন্যান্য বহু দেশত তেনে চেষ্টা আৰম্ভ হৈছে।

ৰোমান লিপিৰ দাবী কেন্দ্ৰীয় চৰকাৰেও প্ৰত্যাখ্যান কৰিছে

বড়োসকলৰ ৰোমান লিপিৰ দাবীৰ প্ৰশ্নত অসম চৰকাৰে এতিয়াও আলাপ-আলোচনাৰ দুৱাৰ বন্ধ কৰি দিয়া নাই। কিন্তু সংসদত যোৱা ২২ নৱেম্বৰ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক গৃহমন্ত্ৰীয়ে দিয়া বিবৃতিৰ পৰা দেখা যায় যে কেন্দ্ৰীয় চৰকাৰে এই দাবী বস্তুতঃ সম্পূৰ্ণভাৱে প্ৰত্যাখ্যান কৰিছে। অতীতৰ অভিজ্ঞতাৰপৰা দেখা যায় যে অসমৰ সংখ্যাগৰিষ্ঠ অসমীয়া ভাষা-গোষ্ঠীৰ লোকসকলৰ বাহিৰে আন সকলো সংখ্যালঘিষ্ঠ ভাষাগোষ্ঠীৰ লোকৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ মনোভাব সদায় সহানুভূতিশীল আৰু পক্ষপাতিত্ব-পূৰ্ণ। তেনে স্থলত বড়ো সকলৰ ৰোমান লিপিৰ দাবী কেন্দ্ৰীয় চৰকাৰে এনে দ্ব্যৰ্থহীন ভাষাৰে নামঞ্জুৰ কৰাটো নিশ্চয় এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা।

বড়োসকলৰ সুকীয়া ভাষা আৰু সুকীয়া লিপিৰ দাবীৰ মাজত এটা তীব্ৰ অসমীয়া-বিদ্বেষী মনোভাব প্ৰচ্ছন্ন হৈ আছে। ফলত অসম সাহিত্য সভা, অসমীয়া সংবাদ-পত্ৰ আৰু বিভিন্ন অসমীয়া অনুষ্ঠানে প্ৰত্যক্ষ বা পৰোক্ষভাৱে বড়ো ভাষাৰ কাৰণে ৰোমান লিপিৰ দাবীৰ বিৰোধিতা কৰিছে, কাৰণ এই দাবীৰ মাজত অসমৰ সংহতি আৰু অধিক বিনষ্ট হোৱাৰ বিপদ-সংকেত-বাহী পূৰ্বাভাস দেখা পাইছে। কেৱল সাপ্তাহিক নীলাচলে এৰা-ধৰাৰ মাজেদি বড়োসকলক আপোন কৰি ৰাখি অসমৰ সংহতি অক্ষুণ্ণ ৰখাৰ মানসেৰে ৰোমান লিপিৰ দাবী সমৰ্থন কৰিছে। সেই সম্পাদকীয় অভিমতৰ কথা মনত ৰাখিও আমি বড়োসকলৰ ৰোমান লিপিৰ দাবীৰ কিবা ৰাজনৈতিক তাৎপৰ্য্য আছে নেকি সেই কথা বিশ্লেষণ কৰি চাব খোজোঁ।

বড়ো বিচ্ছিন্নতা-বাদৰ উৎপত্তি আৰু ঘটনা-ক্ৰমণিকা

প্ৰথমতে কেইটামান তথ্যৰ কথা স্মৰণ কৰা যাওক ঃ

(১) ১৯৫২ চনৰ ১৬ নৱেম্বৰত সৰ্বপ্ৰথমে কোকৰাঝাৰ মহকুমাৰ বাসুগাঁৱত এখন বড়ো জনজাতীয় অভিবৰ্তন অনুষ্ঠিত হয়, আৰু তাতেই বড়ো সাহিত্য সভা গঠন কৰা হয়।

(২) বড়ো সাহিত্য সভা গঠিত হোৱাৰ দুমাহৰ পিছতে এই অনুষ্ঠানে বড়ো প্ৰধান অঞ্চলবোৰৰ স্কুলসমূহত বড়ো ভাষা প্ৰবৰ্তনৰ দাবী উত্থাপন কৰি ১৯৫৩ চনৰ জানুৱাৰী মাহত অসমৰ মুখ্যমন্ত্ৰীৰ ওচৰত এখন স্মাৰক-পত্ৰ দাখিল কৰে।

(৩) কেইবালানি আলোচনাৰ মূৰত অসম চৰকাৰে অৱশেষত ১৯৫৬ চনত বড়ো ভাষাৰ শব্দাৰ্থ সহ অসমীয়া ভাষা শিকোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু বড়ো সাহিত্য সভাই সেই সিদ্ধান্ত মানি নোলোৱাত তাক কাৰ্য্যকৰী কৰিব পৰা নহয়।

(৪) ১৯৬০ চনত অসম চৰকাৰে তেতিয়াৰ মন্ত্ৰী ৰূপনাথ ব্ৰহ্মক এজনীয়া আয়োগ হিচাপে নিয়োগ কৰি গোটেই বিষয়টো পৰীক্ষা কৰি চাবলৈ দায়িত্ব দিয়ে। ৰূপনাথ ব্ৰহ্মই প্ৰাথমিক স্কুলত বড়ো ভাষা প্ৰবৰ্তনৰ সপক্ষে ৰায় দিয়ে। ফলত অসম চৰকাৰে ১৯৬২ চনত কোকৰাঝাৰ আঞ্চলিক পঞ্চায়ত অঞ্চলৰ প্ৰাথমিক স্কুলবোৰত বড়ো ভাষা প্ৰবৰ্তনৰ সিদ্ধান্ত লয়।

(৫) এই দাবী পূৰণ হোৱাৰ পিছত বড়ো সাহিত্য সভাই পৰৱৰ্তী উচ্চতৰ পৰ্য্যায়তো বড়ো ভাষা প্ৰবৰ্তন কৰিব লাগে বুলি দাবী কৰে। এই দাবীৰ ভিত্তিত চৰকাৰৰ লগত আলোচনা চলি থাকোঁতেই কোকৰাঝাৰ বড়ো সাহিত্য সভাই ২৮-২-৬৮ তাৰিখৰ পৰা স্কুল কলেজ বৰ্জনৰ আন্দোলন আৰম্ভ কৰে আৰু তেৰ দিন ধৰি এই আন্দোলন চলে।

(৬) এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে বড়ো ভাষাৰ আন্দোলন চলি থকাৰ মাজতে ১৯৬৭ চনত 'ভৈয়াম জনজাতীয় পৰিষদ' নামেৰে প্ৰধানকৈ বড়ো জন-গোষ্ঠীৰ লোকেৰে গঠিত এটা ৰাজনৈতিক অনুষ্ঠানৰ জন্ম হয়, আৰু এই অনুষ্ঠানে প্ৰথমতে অসমৰ ভিতৰতে এখন স্বায়ত্ত-শাসিত জনজাতীয় অঞ্চলৰ দাবী তুলি পিছলৈ 'উদয়াচল' নামৰ সম্পূৰ্ণ সুকীয়া ৰাজ্যৰ দাবীৰ উত্থাপন কৰে। ইয়াৰ পৰৱৰ্তী ঘটনাৱলীৰ পৰা দেখা যায় যে 'বড়ো সাহিত্য সভা' আৰু 'ভৈয়াম জনজাতীয় পৰিষদ' এই দুয়োটা অনুষ্ঠানেই একেটা মুদ্ৰাৰ দুটা পিঠিত পৰিণত হয় অৰ্থাৎ বড়ো সাহিত্য সভাই ভৈয়াম জনজাতীয় পৰিষদৰ ৰাজনৈতিক উদ্দেশ্য সাধনৰ ক্ষেত্ৰ প্ৰস্তুত কৰাৰ কামত আত্ম-নিয়োগ কৰে।

(৭) ১৯৬৮ চনৰ ১২ মাৰ্চ তাৰিখে মাধ্যমিক পৰ্য্যায়তো বড়ো ভাষা প্ৰৱৰ্তন কৰিবলৈ অসম চৰকাৰে সিদ্ধান্ত লয়।

ৰোমান লিপিৰ দাবী

এইখিনি সময় পৰ্য্যন্ত কিন্তু বড়ো ভাষাৰ কাৰণে ৰোমান লিপিৰ দাবী প্ৰকাশ্যে উঠা নাছিল। ১৯৬৬-৬৭ চনমানৰ পৰাহে ৰোমান লিপিৰ দাবী লাহে লাহে মূৰ ডাঙি উঠে আৰু বড়ো লোকসকলৰ মাজত এই প্ৰশ্নক কেন্দ্ৰ কৰি মত-দ্বৈধ আৰম্ভ হয়।

নিৰ্দিষ্টভাৱে ক'বলৈ গ'লে ১৯৬৬ চনৰ ৪ ফেব্ৰুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈকে কোকৰাঝাৰত অনুষ্ঠিত সদৌ বড়ো সাহিত্য সভাৰ অষ্টম বাৰ্ষিক অধিবেশনত অসমীয়া লিপিৰ ঠাইত ৰোমান লিপিৰ দাবী সৰ্বপ্ৰথমে প্ৰকাশ্যে উত্থাপন কৰা হয়। সেই সভাত কিন্তু ৰোমান লিপিৰ সপক্ষে সৰ্ব-সন্মত সিদ্ধানত গ্ৰহণ কৰাটো সম্ভৱ হোৱা নাছিল। বৰং এই প্ৰশ্নক কেন্দ্ৰ কৰি তীব্ৰ বাদানুবাদ আৰু তিক্ততাৰ সৃষ্টি হৈছিল। ১৯৬৯ চনৰ ৬ মাৰ্চৰ পৰা ৮ মাৰ্চলৈকে ৰঙাগড়াত সদৌ অসম বড়ো সাহিত্য সভাৰ যি দশম অধিবেশন বহে, তাতো সুদীৰ্ঘ আলোচনাৰ পিছত অসমীয়া লিপি গ্ৰহণ কৰাৰ সিদ্ধান্তহে লোৱা হয়। অৱশ্যে বড়ো সমাজৰ ডেকাসকলে সেই সভাত ৰোমান লিপিৰ সপক্ষে প্ৰবল দাবী তুলিছিল।

ৰোমান লিপিৰ দাবীৰ প্ৰেৰণা ক'ৰপৰা আহিল?

ৰোমান লিপিৰ সপক্ষে সৰ্ব-প্ৰথমে স্পষ্ট মত ডাঙি ধৰে মঙলদৈ জিলা বড়ো সাহিত্য সভাই। অৱশেষত ১৯৭০ চনৰ ২৩ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈকে পশ্চিম বংগৰ জলপাইগুৰি জিলাৰ মহাকালগুড়িত বড়ো সাহিত্য সভাৰ যি বাৰ্ষিক অধিবেশন বহে, তাতেই চূড়ান্তভাৱে ৰোমান লিপিৰ সপক্ষে আনুষ্ঠানিকভাৱে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। তাৰ পিছৰ পৰাই ৰোমান লিপিৰ দাবী ক্ৰমাৎ বাঢ়ি আহি সম্প্ৰতি এক ব্যাপক আৰু উত্তেজনাপূৰ্ণ গণ-বিক্ষোভৰ ৰূপ ধাৰণ কৰিছে।

এইখিনিতে প্ৰশ্ন হয়: ১৯৫২ চনতে স্থাপিত হোৱা বড়ো সাহিত্য সভাই সুদীৰ্ঘ কাল অসমীয়া লিপি লৈয়ে সন্তুষ্ট হৈ থাকি হঠাৎ ১৯৬৬ চনত ৰোমান লিপি ল'বলৈ কিয় মন মেলিলে? তাৰ এবছৰৰ পিছতে ১৯৬৭ চনত সুকীয়া বড়ো ৰাজ্যৰ দাবীত ভৈয়াম জনজাতীয় পৰিষদ কিয় গঠিত হ'ল? বিচ্ছিন্নতাবাদী জনজাতীয় আন্দোলনৰ লগত ৰোমান লিপিৰ আন্দোলনৰ কিবা অন্তৰ্নিহিত সম্পৰ্ক আছে নেকি?

বহুতেই সন্দেহ কৰে যে ৰোমান লিপিৰ দাবীৰ প্ৰেৰণা মূলতঃ আহিছে দেশী-বিদেশী খৃষ্টান মিছনেৰীসকলৰ পৰা। এই অভিযোগ শুনিলেই বড়ো নেতাসকল খঙত জকজকাই উঠে আৰু তাড়-স্বৰে সেই অভিযোগ অস্বীকাৰ কৰে। আমি এই কথাও পাহৰি যাব নোৱাৰো ভাবিক আৱেগ-উত্তেজনা এই উপ-মহাদেশত ৰাজনীতিৰ এটা ডাঙৰ হাতিয়াৰ। আজি যদি দেশৰ মংগলকামী লোকসকলৰ মনত এনে কিবা সন্দেহৰ উদ্ৰেক হয় যে বড়ো সকলৰ ৰোমান লিপিৰ দাবীৰ ছিদ্ৰ-পথেদি এই স্পৰ্শকাতৰ অঞ্চলটোত দেশৰ সংহতি-বিনাশকাৰী আৰু বিচ্ছিন্নতাবাদী শক্তিবোৰে মূৰ সুমুৱাবলৈ সুবিধা বিচাৰিছে, তেন্তে সেই সন্দেহ দূৰ কৰাটো বড়ো নেতাসকলৰ অৱশ্য-কৰ্তব্য। আজি যদি কাৰোবাৰ মনত এনে সন্দেহৰ উদ্ৰেক হয় বা এনে কোনো প্ৰমাণ-পত্ৰ থাকে যে শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলনৰ নামত কোনো এক বিশেষ জন-গোষ্ঠীয়ে দীঘলীয়া সশস্ত্ৰ সংগ্ৰামৰ কাৰণে প্ৰস্তুত হৈছে, তেন্তে তেনে সন্দেহ দূৰ কৰাটোও সেই লোকসকলৰ অৱশ্য-

কর্তব্য। সমগ্র দেশৰ স্বাৰ্থ বিপন্ন কৰি কোনো এক বিশেষ জনগোষ্ঠীয়ে বিচ্ছিন্নভাৱে কেৱল নিজৰ স্বাৰ্থ অক্ষুণ্ণ ৰাখিব নোৱাৰে। এই কথাষাৰ সততে মনত ৰাখিবলৈ আমি দেশ-প্ৰেমিক বড়ো নেতাসকলক আহ্বান জনালোঁ।

চৰকাৰেও এই কথা মনত ৰখা উচিত যে বহুকাল ধৰি শোষিত আৰু প্ৰপীড়িত হৈ থকা এক জন-গোষ্ঠীৰ আবেগ-তাড়িত আন্দোলনক কেৱল পুলিচী নিৰ্য্যাতন বা দমন-নীতিৰ দ্বাৰাই মষিমূৰ কৰিব নোৱাৰি। বন্দুকৰ গুলীৰে হৃৎ-পিণ্ড বিদীৰ্ণ কৰিব পাৰি, কিন্তু ভগা হৃদয় জোৰা লগাব নোৱাৰি। তাৰ কাৰণে প্ৰয়োজন মানবিক আবেদন, অশেষ ধৈৰ্য্য-শক্তি আৰু অন্ত-হীন সততাৰ। যিবোৰ দেশতেই প্ৰকৃত মানবিক সমাজবাদ প্ৰতিষ্ঠিত হৈছে, সেইবোৰ দেশতেই এনেবোৰ জটিল সমস্যাৰ সুস্থ মানবিক সমাধান সম্ভৱ হৈছে। আজি সমগ্ৰ দেশ জুৰি ভুল পথেদি পৰিচালিত হৈছে। সেই কাৰণেই পদে পদে ভুলৰ কঠিন মাচুল দিব লগা হৈছে।

যিকোনো বিবদমান সমস্যাৰ শান্তি-পূৰ্ণ সমাধানৰ কাৰণে উভয় পক্ষৰ কিছু এৰা-ধৰা আৰু ত্যাগৰ প্ৰয়োজন। বড়োসকলৰ বিচ্ছিন্নতাবাদী আন্দোলনৰ মূল লক্ষ্য হ'ল অসমক পুনৰ খণ্ডিত কৰি আৰু এখন সুকীয়া ৰাজ্যৰ প্ৰতিষ্ঠা। সেই লক্ষ্য-পূৰণৰ প্ৰথম সোপান হিচাপে তেওঁলোকে এটা সুকীয়া লিপিত সুকীয়া ভাষা প্ৰতিষ্ঠিত কৰি অসমীয়াৰ পৰা এটা সম্পূৰ্ণ সুকীয়া অস্তিত্ব গঢ়ি তুলিবলৈ যত্নপৰ হৈছে। কিন্তু অসমক পুনৰ খণ্ডিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ কেতিয়াও ৰাজী নহ'ব। নাগালেণ্ড আৰু মিজোৰামক সুকীয়া ৰাজ্যৰ মৰ্যাদা দিও কেন্দ্ৰীয় চৰকাৰে সেইবোৰ অঞ্চলত ৰক্ত-ক্ষয়ী অশান্তিৰ অবসান ঘটাব পৰা নাই। সেই কাৰণে বড়োসকলে এটা অসম্ভৱ লক্ষ্য-পূৰণৰ চেষ্টাত অনাহকতে শক্তি-ক্ষয় নকৰি দৰিদ্ৰ আৰু শোষিত বড়ো জনতাৰ সামাজিক আৰু অৰ্থনৈতিক মুক্তিৰ কাৰণে প্ৰগতিশীল ৰাজনৈতিক আদৰ্শৰ ভেটিত শান্তিপূৰ্ণ পন্থাৰে চেষ্টা কৰাটোহে সকলোৰে কাৰণে মঙ্গলৰ কথা হ'ব। তাকে নকৰি তেওঁলোকে যদি আঁকোৰ-গোজ্ মনোভাৱেৰে এই স্পৰ্শ-কাতৰ অঞ্চলটোত সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি আৰু প্ৰসাৰিত কৰি থাকে, তেন্তে তাৰ পৰিণাম তেওঁলোকৰ লগতে সমগ্ৰ দেশৰ কাৰণেই বিষময় হ'ব।

সাপ্তাহিক নীলাচল, ৩০৬ সংখ্যা : ৪ ডিচেম্বৰ, ১৯৭৪ চন

বিদেশী ষড়যন্ত্ৰ আৰু উত্তৰ-পূব ভাৰত

"আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৃহত্তৰ স্বাৰ্থত পৃথিৱীৰ যিকোনো দেশতে গোপন কাৰ্য-কলাপ চলাবলৈ আমেৰিকাৰ অধিকাৰ আছে।"

উইলিয়াম ক'লবি : চি আই এ সঞ্চালক

অলপতে এখন সাংবাদিক মেলত অসম চৰকাৰৰ এজন মুখ-পাত্ৰই এনে এটা ইংগিত দিছিল যে যিবোৰ বিদেশী নব্য ঔপনিবেশিক আৰু সাম্ৰাজ্যবাদী শক্তিয়ে ভাৰত মহাসাগৰৰ ডিয়েগ' গাৰ্চিয়াত নৌ ঘাটি স্থাপন কৰি ভাৰতৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হৈছে, সেই একেবোৰ শক্তিয়েই উত্তৰ-পূব ভাৰততো অশান্তিৰ দাবানল জ্বলাই ৰাখি ভাৰতক দুৰ্বল কৰি ৰাখিবলৈ চেষ্টা কৰিছে। উক্ত চৰকাৰী মুখপাত্ৰজনে বিদেশী শক্তিবোৰৰ নাম নক'লেও কাৰ প্ৰতি তেওঁ আঙুলি টোৱাইছে সেই কথা নিশ্চয় অস্পষ্ট হৈ থকা নাই। যোৱা কিছুদিন ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ কু-খ্যাত 'চি.আই.এ.' বা কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ বিশ্ব-জোৰা কাৰ্য্য-কলাপৰ যিবোৰ গোপন তথ্য-পাতি প্ৰকাশ পাইছে, সেইবোৰ জনাৰ পিছত কোনো মানুহেই আমাৰ দেশতো বিদেশী ষড়যন্ত্ৰৰ সাম্ভাব্য বিপদৰ প্ৰতি উদাসীন হৈ থাকিব নোৱাৰে। চিলিত গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত এলেণ্ডে-চৰকাৰৰ পতনৰ 'চি-আই-এ'ৰ ভূমিকা আমেৰিকাৰ চৰকাৰে প্ৰথমে স্বীকাৰ কৰিব নুখুজিলেও পিছত অখণ্ডনীয় আৰু প্ৰামাণ্য তথ্য-পাতিৰ মুখামুখি হৈ নতুন ৰাষ্ট্ৰপতি ফ'ৰ্ডে সেই অভিযোগ স্বীকাৰ কৰি লবলৈ বাধ্য হ'ল। কিন্তু চিলিৰ ঘটনা কেৱল এটা ব্যতিক্ৰম বুলি ধৰি [illegible] কোনো যুক্তি নাই। আমেৰিকান বৈদেশিক সচিব শ্ৰীকিছিঞ্জাৰ কিছুদিনৰ আগতে ভাৰতলৈ আহোঁতে এই দেশত চি-আই-এৰ কোনো কাৰ্য্য-কলাপ চলি থকা নাই বুলি কৈ গৈছে। কিন্তু অতীতত আমেৰিকা চৰকাৰৰ মুখপাত্ৰসকলৰ এনেবোৰ উক্তি বা আশ্বাস যিমানবাৰ মিছা বুলি প্ৰমাণিত হৈছে, তালৈ চাই কিছিঞ্জাৰৰ এই শেহতীয়া আশ্বাসৰো বিশেষ একো মূল্য নাই। সম্প্ৰতি আমেৰিকান অৰ্থনৈতিক সাম্ৰাজ্যবাদ বিভিন্ন ফালৰ পৰা নানা জটিল সংকটৰ সম্মুখীন হৈছে। দিনে দিনে এই সংকট যিমানেই তীব্ৰতৰ হৈ উঠিব, বিভিন্ন দেশত আমেৰিকাৰ পশ্চাদ-ঘাতী কাৰ্য্য-কলাপো সিমানেই বৃদ্ধি পাব। এজন আমেৰিকান পণ্ডিতৰ মতেই (অধ্যাপক মাৰ্ক চলোমন) 'বিশ্ব-পুঁজিবাদ আৰু বিশ্ব-সমাজবাদৰ সমুখ সংঘৰ্ষই হ'ল সম-সাময়িক কালৰ কেন্দ্ৰীয় ৰাজনৈতিক বাস্তৱতা; সাময়িকভাৱে পাৰস্পৰিক বৈৰিতা স্থগিত ৰখাৰ চেষ্টাই এই বাস্তৱতাৰ ৰূপ নিৰ্ণয় কৰিছে। স্বাধীনতাৰ কাৰণে সংগ্ৰাম কৰা লোকসকলৰ ক্ৰমবৰ্দ্ধমান শক্তি আৰু ঐক্যই ইয়াৰ মাজতে এচিয়াত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দুশ্চিন্তা আৰু উদ্বিগ্নতা বঢ়াই তুলিছে।'

মুঠতে এই বিষয়ে কোনো সন্দেহ নাই যে ভাৰতকে ধৰি এচিয়াৰ বহু দেশৰ বিৰুদ্ধে সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰ বিভিন্ন ধৰণৰ ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছে। বিশ্ব-জোৰা সমালোচনা আৰু বিৰোধিতাকো ভ্ৰূক্ষেপ নকৰি ভাৰত মহাসাগৰত নৌ-ঘাটি স্থাপনৰ চেষ্টা সেই বহুমুখী ষড়যন্ত্ৰৰ এটা সামান্য দিশ মাত্ৰ। সি যি কি নহওক, এতিয়া আমাৰ প্ৰশ্ন হ'ল—অসম চৰকাৰৰ মুখপাত্ৰজনে ডিয়েগ' গাৰ্চিয়াত গোপনি পুতি ৰখিব

খোজা একেটা ভয়াবহ ষড়যন্ত্র অসম তথা উত্তৰ-পূৰ্ব ভাৰততো সক্রিয় হৈ পৰিছে বুলি যি অভিযোগ কৰিছে, তাৰ কিবা বাস্তৱ ভিত্তি আছেনে? আন কথাত ক'বলৈ গ'লে—অসম তথা উত্তৰ-পূব ভাৰততো বিদেশী ষড়যন্ত্র বিয়পি পৰিছে বুলি বিশ্বাস কৰিবলৈ কিবা কাৰণ ঘটিছেনে? কোনবোৰ স্থানীয় লোক বা ৰাজনৈতিক দলে এই বিদেশী ষড়যন্ত্রকাৰীসকলৰ দালাল ৰূপে কাম কৰিছে? এই অঞ্চলত যিবোৰ বিভেদ-কামী শক্তিয়ে স্থানীয় জন-গোষ্ঠীৰ বাস্তৱ অসন্তুষ্টি আৱেগিক উত্তেজনাক অবলম্বন হিচাপে লৈ দীঘলীয়া আৰু ব্যয়-সাধ্য আন্দোলন চলাই আছে, তেওঁলোকৰ কাৰণে আৰ্থিক সাহায্য আৰু কৌশলগত দিহা-পৰামৰ্শ ক'ৰ পৰা আহিছে?

স্বাভাৱিকতেই নথি-পত্ৰ সহকাৰে এইবোৰ প্ৰশ্নৰ স্পষ্ট উত্তৰ দিয়া সম্ভৱ নহয়। বিশ্ব-জোৰা ব্যাপক ষড়যন্ত্ৰত লিপ্ত থকা এটা বিৰাট শক্তিক ইমান সহজে হাতে হাতে ধৰা পেলাব নোৱাৰি। কিন্তু এইখিনিতে অসমৰ বড়ো জন-গোষ্ঠীৰ একাংশ লোকৰ ৰোমান-লিপিৰ দাবীৰ আন্দোলনৰ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্রীয়ে কৰা কেইটামান উক্তি বিশেষভাৱে প্ৰণিধানযোগ্য। তেওঁ দাবী কৰিছে যে যিবোৰ শক্তিয়ে অসমত বিশৃংখলা আৰু অৰাজকতা সৃষ্টি কৰিবলৈ ছল চাই ফুৰিছে, সেই একেবোৰ শক্তিয়েই একাংশ বড়ো লোকৰ লিপি-আন্দোলনতো ইন্ধন যোগাইছে; দ্বিতীয়তে, এই লিপি-আন্দোলনৰ কাৰণে বাহিৰৰ পৰা প্ৰচুৰ পৰিমাণৰ ধনৰ সোঁত ব'ব ধৰিছে। ইয়াৰ প্ৰমাণো চৰকাৰৰ হাতত আছে বুলি মুখ্যমন্ত্রীয়ে দাবী কৰিছে। মুখ্যমন্ত্রীৰ এই উক্তি নিঃসন্দেহে অতিশয় তাৎপৰ্য্যপূৰ্ণ আৰু বৃহৎ পটভূমিত দেশৰ কথা চিন্তা কৰা কোনো মানুহেই এইবোৰ ঘটনাৰ প্ৰতি উদাসীন হৈ থাকিব নোৱাৰে।

এই প্ৰসংগতে 'চি-আই-এ'ৰ ডিৰেক্টৰ উইলিয়াম ক'ল্‌বিয়ে অলপতে কৰা কেইটামান উক্তিও বিশেষভাৱে স্মৰণযোগ্য। তেওঁ দাবী কৰিছে যে— "আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৃহত্তৰ স্বাৰ্থত পৃথিবীৰ যি কোনো অঞ্চলতে গোপন কাৰ্য্য-কলাপ চলাবলৈ আমেৰিকাৰ অধিকাৰ আছে।" 'চি-আই-এ'ই এইবোৰ গোপন কাৰ্য্যকলাপ কেনেকৈ চলায়? ক'ল্‌বিৰ ভাষাতেই— "There are a few situations where a little discreet help to a few friends of the USA or a little help to a few people espousing a certain policy or programme in a foreign country, can enable us to influence a local situation in a way that may avert a greater crisis in the future.' — সম্প্ৰতি উত্তৰ-পূব ভাৰতত যিবোৰ ঘটনা ঘটি আছে, তাতো আমেৰিকাই তেওঁলোকৰ কোনো কোনো বন্ধু বা বিশেষ কোনো লোক-গোষ্ঠীৰ প্ৰতি little discreet help আগবঢ়াইছে নেকি? তেওঁলোকে এই অঞ্চলৰ ঘটনাৱলীৰ প্ৰতি প্ৰয়োজনাতিৰিক্ত কিবা আগ্ৰহ বা মনোযোগ দেখুৱাইছে নেকি? যদি দেখুৱাইছে, তেন্তে সেই আগ্ৰহ বা মনোযোগৰ প্ৰকৃত ৰহস্য কি?

এইবোৰ প্ৰশ্নৰ উত্তৰ পাবলৈ নিশ্চয় অতি সতৰ্ক আৰু প্ৰণালী-বদ্ধ অনুসন্ধান চলাব লাগিব। কিন্তু ইতিমধ্যেই গভীৰ ইংগিতবহ একাধিক তথ্য আমাৰ জ্ঞান-গোচৰ হৈছে। বাতৰি পোৱা গৈছে যে অৰুণাচল আঞ্চলিক পৰিষদে সেই অঞ্চলত খৃষ্টান ধৰ্ম প্ৰচাৰ নিষিদ্ধ কৰি যি প্ৰস্তাৱ লৈছে, ভাৰতস্থ আমেৰিকান দূতাবাসে ভাৰত চৰকাৰৰ ওচৰত তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। দ্বিতীয়তে, মাত্ৰ কেইদিনমানৰ কাৰণে আমেৰিকান দূতাবাসৰ এজন বিষয়াই পূৰ্বাঞ্চলৰ এজন জনজাতীয় সংসদী সদস্যক লগ ধৰি তেওঁক এই বুলি উত্তেজিত কৰিবলৈ চেষ্টা কৰে যে অসম চৰকাৰে এই ৰাজ্যৰ জনজাতীয় লোকসকলৰ ওপৰত ব্যাপক

হাৰত পুলিচী নিৰ্য্যাতন চলাইছে। অৰুণাচল আৰু অসমৰ জনজাতীয় লোকসকলৰ অভিভাৱকত্বৰ দায়িত্ব আমেৰিকান দূতাবাসক কোনে কেতিয়া দিলে? এই অভিভাৱকত্বৰ পাৰিশ্ৰমিক হিচাপে তেওঁলোকে কি প্ৰতিদান আশা কৰে?

এতিয়া এনেকুৱা এটা সময় আহি পৰিছে যে সঁচা কথাবোৰ দ্ব্যৰ্থহীন ভাষাৰে কোৱাৰ প্ৰয়োজন হৈ পৰিছে। ভাৰতৰ বিৰুদ্ধে বৈদেশিক ষড়যন্ত্ৰৰ গতি-প্ৰকৃতি অনুধাৱন কৰি থকা প্ৰত্যেকজন লোকেই এতিয়া এই অঞ্চলৰ বিচ্ছিন্নতাবাদী সকলোবোৰ আন্দোলনকে সন্দেহৰ চকুৰে চাবলৈ বাধ্য হৈ পৰিছে। অনুন্নত জনজাতীয় লোকসকলৰ ন্যায্য আশা-অকাংক্ষা আৰু আবেগ-অনুভূতিয়ে চৰকাৰ আৰু ৰাইজৰ সৰ্বাধিক মনোযোগ লাভ কৰাটো নিশ্চয় উচিত। সামাজিক, সাংস্কৃতিক আৰু আৰ্থিক বৈষম্য দূৰ কৰাত চৰকাৰৰ ব্যৰ্থতাও কঠোৰ সমালোচনাৰ যোগ্য। কিন্তু সেইবুলি কোনো এক বিশেষ অঞ্চল বা জন-গোষ্ঠীৰ আবেগ-অনুভূতিক মূলধন হিচাপে ব্যৱহাৰ কৰি কোনোবাই যদি বিদেশী ষড়যন্ত্ৰকাৰীৰ হাতত ক্ৰীড়নকৰ ভূমিকাত অৱতীৰ্ণ হয়, তেন্তে তেনে লোকক নিশ্চয় চৰম প্ৰতিক্ৰিয়াশীল আৰু দেশ-দ্ৰোহী বুলি গণ্য কৰিব লাগিব। লগতে এই কথাও সত্য যে এইসকল লোকে গণ-আবেগৰ ধূম্ৰ জাল সৃষ্টি কৰি তাৰ আঁৰত বেছিদিন লুকাই থাকিবও নোৱাৰিব।

সাপ্তাহিক নীলাচল, ৩০৭ সংখ্যা : ১১ ডিচেম্বৰ, ১৯৭৪ চন

সমষ্টি-নিৰ্দ্ধাৰণৰ ৰাজনীতি

নিৰ্বাচনী-সমষ্টিবোৰৰ চাৰিসীমা কেনেকৈ নিৰ্দ্ধাৰণ কৰিব লাগে সেই বিষয়ে আইনৰ নিৰ্দেশ অতি স্পষ্ট। কিন্তু আগতে এই কথাও স্পষ্ট যে কেৱল আইনৰ নিৰ্দেশৰ প্ৰতি লক্ষ্য ৰাখি কেতিয়াও সমষ্টিৰ সীমা নিৰ্দ্ধাৰণ কৰা নহয়। বিভিন্ন ন্যস্ত-স্বাৰ্থই সদায় নিজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিহে সমষ্টিৰ সীমা নিৰ্দ্ধাৰণ কৰিবলৈ চেষ্টা কৰি আহিছে। অসৎ জুৱাৰীয়ে যেনেকৈ তাছ্-পাত শ্বাফ্‌ল কৰোঁতে হাতৰ কৌশলেৰে বেইমানী কৰে, অসৎ ৰাজনীতিকে সমষ্টি-নিৰ্দ্ধাৰণৰ ক্ষেত্ৰতো ঠিক একে ধৰণৰ বেইমানী কৰি আহিছে। এম্‌ব্ৰছ বিয়েৰ্চে তেওঁৰ ডেভিল্‌ছ ডিক্সনাৰী অৰ্থাৎ ছয়তানৰ অভিধানত এনেয়ে কোৱা নাছিল যে ব্যক্তিগত স্বাৰ্থ পূৰণৰ কাৰণে ৰাজহুৱা কাৰ্য্য-পৰিচালনাৰ আন এটা নামেই হ'ল ৰাজনীতি। সি যি কি নহওক, অতীতত এইবোৰ কামৰ ক্ষেত্ৰত নানা চালাকি আৰু নীচ কৌশলৰ আশ্ৰয় লোৱা হ'লেও তাৰ এটা সীমা আছিল। কিন্তু যোৱা কেইবছৰমানত ভাৰতীয় ৰাজনীতিৰ নৈতিক মান-দণ্ড ইমান তললৈ নামি গৈছে যে স্বাৰ্থান্ধ ৰাজনীতিকসকলৰ লোক-নিন্দাৰ ভয় আৰু চক্ষু-লজ্জাও সমূলি নোহোৱা হৈ গৈছে। তাৰ লগতে যোগ হৈছে বিভিন্ন ৰাজ্যৰ মেৰুদণ্ডহীন আৰু পুতলা মুখ্যমন্ত্ৰীসকলৰ কাপুৰুষতা। এইবাৰ অসমৰ সমষ্টি-নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত হোৱা নানা ধৰণৰ হীন চল-চাতুৰিয়ে এই কথা আৰু স্পষ্টকৈ প্ৰমাণিত কৰিছে।

সংসদী গণতন্ত্ৰ হ'ল সংখ্যাৰ খেলা। বিধান সভা বা সংসদত মাত্ৰ কেইটামান ভোটৰ হেৰ-ফেৰেও দেশৰ সমগ্ৰ ৰাজনীতিৰ গতি সলনি কৰি দিব পাৰে। সেই কাৰণে সমষ্টি-নিৰ্দ্ধাৰণৰ প্ৰশ্নটোৰ প্ৰতি ভোটদাতা ৰাইজ কেতিয়াও নিৰ্বিকাৰ হৈ থাকিব নোৱাৰে। অসমত সমষ্টি-নিৰ্দ্ধাৰণৰ যি খচৰা প্ৰস্তাৱ সম্প্ৰতি প্ৰকাশিত হৈছে, তাৰ পৰা এই কথা স্পষ্টভাৱে ওলাই পৰিছে যে আইনৰ নিৰ্দেশ আৰু সাধাৰণ যুক্তি-বুদ্ধিক তিনি টিলিকি মাৰি উৰাই দি কেৱল দলীয় আৰু ব্যক্তিগত স্বাৰ্থৰ কথা বিবেচনা কৰিহে এই দলীয় আৰু ব্যক্তিগত স্বাৰ্থৰ কথা বিবেচনা কৰিহে এই উদ্ভট প্ৰস্তাৱ কৰা হৈছে। ফলত প্ৰস্তাৱিত নতুন সমষ্টিবোৰে কিম্ভুত-কিমাকাৰ ৰূপ লৈছে। বেছিভাগ সমষ্টিকেই যোগাযোগৰ সুবিধা, প্ৰশাসনিক গোটৰ অখণ্ডতা, ভৌগোলিক বৈশিষ্ট্য আদি কথাবোৰৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি কেৱল দলীয় আৰু ব্যক্তিগত স্বাৰ্থৰ বিবেচনাৰ 'কদলী-বনে মত্ত-হস্তী'ৰ দৰে আগৰ সমষ্টিবোৰ ঠান-বান কৰি নতুন সমষ্টিবোৰৰ অদ্ভুৎ একোটা ৰূপ দিয়া হৈছে। অসমৰ এখন মানচিত্ৰ আঁকি তাত প্ৰস্তাৱিত নতুন সমষ্টিবোৰৰ চাৰিসীমা চিহ্নিত কৰি চালেই এজন অজ্ঞ নিৰক্ষৰ মানুহেও এটা ভয়াবহ ষড়যন্ত্ৰ আৱিষ্কাৰ কৰিব পাৰিব। কোনো কোনো মহলৰ পৰা অভিযোগ উঠিছে যে 'বিশেষ এক সম্প্ৰদায়'ৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিয়েই জনদিয়েক শক্তিশালী ৰাজনীতিকে সমষ্টিৰ নতুন ৰূপ নিৰ্দ্ধাৰণ কৰিবলৈ সক্ষম হৈছে। আমি লুক-ঢাক কৰি কথা কোৱাৰ অভ্যাস ভাল নাপাওঁ। খুব সম্ভৱ, এই 'বিশেষ সম্প্ৰদায়' বুলি থোৱতে কৈ মুছলমান সম্প্ৰদায়ৰ কথাকে কোৱা হৈছে। সমষ্টিবোৰ নতুনকৈ নিৰ্দ্ধাৰণ কৰাৰ ফলত যদি বিধান সভাত মুছলমান প্ৰতিনিধিৰ সংখ্যা কেইটামান বাঢ়ে আৰু তাৰ ফলত নানা অন্যায় অবিচাৰত জৰ্জৰিত হৈ থকা এই সম্প্ৰদায়ৰ দৰিদ্ৰ মানুহবোৰৰ এধানমানো উন্নতি হয়, তেতিয়াহ'লে আমি তাক সমগ্ৰ দেশৰ উন্নতি বুলিয়েই গণ্য কৰিম। দেহৰ এটা অংগ কগ্ন হৈ থাকিলে তাৰ বিষ-ক্ৰিয়া

যেনেকৈ সমগ্র দেহলৈ সঞ্চাবিত হয়, ঠিক তেনেকৈ সমাজব এটা অংগ কগ্ন হৈ থাকিলেও সমগ্র সমাজখন কেতিয়াও সুস্থ হৈ থাকিব নোবাবে। কিন্তু আচলতে মুছলমান সম্প্রদায়ব প্রকৃত মঙ্গলব কথা চিন্তা কবি সমষ্টিবোবব ৰূপ সলনি কবিবলৈ বিচবা হৈছেনে? যোবা সাতাইশ বছব ধবি মুছলমান, চাহ শ্রমিক, জন-জাতি আৰু অনুসূচিত সম্প্রদায়বোবব লোকসকলক পাশা খেলব গুটি হিচাপে ব্যবহাব কবি এটা দল বাবে বাবে ক্ষমতাত অধিষ্ঠিত হৈছে; সমষ্টি নির্দ্ধাৰণ কৰোঁতেও এই লোকসকলব সুনিশ্চিত সমর্থনব প্রত্যাশা সদায় মনত বখা হয়; এই লোকসকলব মূবত কঁঠাল ভাঙিয়েই বহুতো চতুব বাজনীতিকে নিষ্কণ্টক বাজপাট ভোগ কবি আহিছে; কিন্তু তাব ফলত এই মানুহবোবব অবর্ণনীয় দুৰবস্থাব কিমানখিনি পবিবর্তন হৈছে? মুষ্টিমেয় কিছুমান শিয়ান লোকব ক্ষমতাব আসনত আবোহণব জখলা হিচাপে ব্যবহৃত হোৱাব বাহিবে এই লোকসকলে তেওঁলোকব নিঃচর্ত সমর্থনব বিনিময়ত কি প্রতিদান পাইছে? ভাবতত এই সর্বনাশী খেলা আৰু কিমানদিন চলি থাকিব?

সমষ্টি-নির্দ্ধাৰণব অন্তবালত সদায় এটা কদর্য্য বাজনীতিয়ে কাম কবি আহিছে। সেই বাজনীতি হ'ল ছলে-বলে-কৌশলে ক্ষমতা হস্তগত কবি বখাব স্বার্থান্ধ বাজনীতি। সেই বাজনীতিয়ে অজ্ঞ নিবক্ষব জনসাধাৰণব আদিম গোষ্ঠী-চেতনা আৰু পশ্চাদ-মুখিতাক মূলধন হিচাপে ব্যবহাব কবি ভাবতীয় সমাজত প্রতিক্রিয়া-শীল ভেদ-বুদ্ধি, সাম্প্রদায়িকতা আৰু সংকীর্ণতাক জীয়াই বাখিছে। অসমত এইবাবব সমষ্টি-নির্দ্ধাৰণব ক্ষেত্রত এই অশুভ প্রবণতা আৰু বেছি প্রকট হৈ পবিছে। আন সকলো কথা বাদ দিও কেবল বাস্তব-বুদ্ধি বা ব্যবহাৰিক দৃষ্টিকোণৰপৰা চালেও প্রস্তাবিত সমষ্টি-নির্দ্ধাৰণ কেতিয়াও গ্রহণযোগ্য হ'ব নোবাবে। কাৰণ এই অসৎ-উদ্দেশ্যপ্রণোদিত সমষ্টি-নির্দ্ধাৰণ বিনা-প্রতিবাদে মানি ল'লে তাব জবিয়তে কূট-কৌশলব দ্বাবা গণতন্ত্রক বিকৃত কৰাব চক্রান্তক প্রশ্রয় দিয়া হ'ব। এই চক্রান্তব বিৰুদ্ধে অতি শীঘ্রে প্রবল জনমত গঢ়ি উঠা দবকাব।

ন্যস্ত-স্বার্থ

নিয়মিতভাৱে বাতৰি কাকত পঢ়া সকলো মানুহৰ কাৰণে 'ন্যস্ত-স্বার্থ' এটা পৰিচিত শব্দ। ক্ষমতাসীন ৰাজনীতিকে যাদু-মন্ত্ৰৰ দৰে অষ্টপ্ৰহৰ এই শব্দটো উচ্চাৰণ কৰে। তেওঁলোকে যেতিয়াই কিবা বে-কায়দাত পৰে বা নিজৰ প্ৰতিশ্ৰুতি মতে কাম কৰিব নোৱাৰে, তেতিয়াই 'যত দোষ নন্দ ঘোষ'ৰ দৰে সকলো দোষ জাপি দিয়া হয় এই নৈৰ্ব্যক্তিক আৰু নামহীন 'ন্যস্ত-স্বার্থ'ৰ ওপৰত। ড্ৰাইডেনে কেতিয়াবাই কৈ গৈছিল— And tortuer the poor word ten thousand ways. বৰ্তমান ৰাজনীতিকসকলৰ হাতত 'ন্যস্ত-স্বার্থ' (আৰু লগতে প্ৰতিক্ৰিয়াশীল) শব্দটোৰো ঠিক এই অৱস্থাই হৈছে।

অৱশ্যে এই কথা কোৱাৰ অৰ্থ এই নহয় যে সমাজত ন্যস্ত-স্বার্থ নামৰ কোনো এটা প্ৰগতি-বিৰোধী বা পৰিবৰ্তন বিৰোধী শক্তি নাই। কেতবোৰ বিশেষ সুবিধা আৰু সম্পদ যেতিয়াই সমাজৰ কোনো বিশেষ ব্যক্তি বা শ্ৰেণীৰ হাতত কেন্দ্ৰীভূত হয়, তেতিয়াই তেওঁলোকে সেই বিশেষ সুবিধা আৰু সম্পদবোৰ চিৰকাল এদনীয়াভাৱে আৰু পুৰুষানুক্ৰমে ভোগ কৰিব খোজে; তাৰ সম-বিতৰণৰ সকলো প্ৰচেষ্টাকে তেওঁলোকে দৃঢ়তাৰে বাধা দিয়ে। ইয়াকেই কোৱা হয় ন্যস্ত-স্বার্থ।

কিন্তু এই কথা আজি কোনে নাজানে যে তথাকথিত ন্যস্ত-স্বার্থ বুলিলে আমি সমাজৰ যিটো শ্ৰেণীক বুজি পাওঁ, বৰ্তমানৰ শাসকগোষ্ঠী সেই ন্যস্ত-স্বার্থৰেই এটা অবিচ্ছেদ্য অংশ মাত্ৰ। ন্যস্ত-স্বার্থৰ অৰ্থ-শক্তিৰে যি সকল লোকে ক্ষমতালৈ আহে, তেওঁলোকে ৰাজনৈতিক শক্তিৰে সেই ন্যস্ত-স্বার্থকেই অধিক দীৰ্ঘজীৱী আৰু বলশালী কৰাত সহায় কৰে। উভয়েই পৰস্পৰৰ পৰিপূৰক মাত্ৰ, একোটা ন্যস্ত-স্বার্থৰ সমান অংশীদাৰ। এইটো এটা সাধাৰণ জ্ঞানৰ কথা যে ন্যস্ত-স্বার্থই শত্ৰুক ক্ষমতালৈ আহিবলৈ দি কেতিয়াও নিজৰ হাতৰ কুঠাৰ ভৰিত নামাৰে। এই সহজ যুক্তিটো মানি ল'লে এই কথা স্বীকাৰ কৰিবই লাগিব যে ধনী শ্ৰেণীৰ ক'লা টকাৰ সহায়েৰে নিৰ্বাচন-যুদ্ধত জয়লাভ কৰি ক্ষমতা দখল কৰা শাসক-গোষ্ঠীতকৈ ডাঙৰ ন্যস্ত-স্বার্থ দেশত আন কোনো নাই। তেনে লোকৰ মুখত তথাকথিত ন্যস্ত-স্বার্থৰ বিৰুদ্ধে শূন্যগৰ্ভ আস্ফালন অকণো শোভা নাপায়।

কেৱল সেয়েই নহয়। ওপৰতেই ন্যস্ত-স্বার্থৰ সংজ্ঞাত কৈ অহা হৈছে যে কেতবোৰ বিশেষ সুবিধা আৰু সম্পদ যেতিয়াই বিশেষ এক শ্ৰেণীৰ লোকৰ হাতত পুঞ্জীভূত হয় আৰু সেই সুবিধা বা সম্পদ তেওঁলোকে আনক এৰি দিব নোখোজে, তেতিয়াই সি ন্যস্ত-স্বার্থত পৰিণত হয়। কিন্তু এই কথা মনত ৰখা দৰকাৰ যে মানুহৰ সকলো লোভৰ ভিতৰত ক্ষমতাৰ লোভেই হ'ল আটাইতকৈ ডাঙৰ লোভ (টকাও ক্ষমতাৰ এটা প্ৰতীক মাত্ৰ), আৰু ক্ষমতা কৰায়ত্ত ৰখাৰ স্বার্থই হ'ল আটাইতকৈ ডাঙৰ ন্যস্ত-স্বার্থ। আজি যিসকল ক্ষমতাসীন ৰাজনীতিকে অষ্ট-প্ৰহৰ তথাকথিত ন্যস্ত-স্বার্থৰ বিৰুদ্ধে বিষোদগাৰ কৰি থাকে, তেওঁলোকে ভুলতো এবাৰো ভাবি নাচায় যে তেওঁলোক নিজেই হ'ল ন্যস্ত-স্বার্থৰ আটাইতকৈ ডাঙৰ প্ৰতিভূ আৰু প্ৰতীক, কাৰণ তেওঁলোকৰ ন্যস্ত-স্বার্থ হ'ল নিৰংকুশ ৰাজনৈতিক ক্ষমতা। আমাৰ দৰে শ্ৰেণী-বিভক্ত সমাজত আৰু ভাৰতৰ বৰ্তমান পৰিস্থিতিত শাসন ক্ষমতা পুঞ্জীভূত হৈছে বুৰ্জোৱা পুঁজিপতিৰ সমৰ্থনপুষ্ট

এক শ্ৰেণীৰ মধ্যবিত্তৰ হাতত। দেশৰ সম্প্ৰতি যি ৰাজনীতিৰ দ্বন্দ্ব বা ক্ষমতাৰ থোৰা-কামোৰা চলিছে, সি প্ৰকৃত অৰ্থত প্ৰগতি আৰু প্ৰতিক্ৰিয়াৰ মাজত হোৱা দ্বন্দ্ব নহয়; সি হ'ল একেটা সুবিধাভোগী শ্ৰেণীৰ মাজত ৰাজনৈতিক ক্ষমতা আৰু তাৰ আনুষংগিক সা-সুবিধাৰ ভাগ-বাটোৱাৰাৰ কাৰণে হোৱা দ্বন্দ্ব। যেতিয়াই তেওঁলোকৰ ভিতৰত যি কোনো এটা দল বা গোষ্ঠীয়ে জনতাক ক্ৰীড়নক হিচাবে লৈ ৰাজনৈতিক ক্ষমতা কৰায়ত্ত কৰে, সেই ক্ষমতাক সকলো প্ৰকাৰৰ ৰণ-কৌশল আৰু বাক-চাতুৰ্য্যৰে নিজৰ হাতত ৰখাটোৱেই হৈ পৰে তেওঁলোকৰ কাৰণে আটাইতকৈ ডাঙৰ ন্যস্ত-স্বাৰ্থ। ধনী-শ্ৰেণীৰ অৰ্থনৈতিক ন্যস্ত-স্বাৰ্থ আৰু ক্ষমতাসীন শাসকগোষ্ঠীৰ ৰাজনৈতিক ন্যস্ত-স্বাৰ্থৰ মাজত কোনো গুণগত পাৰ্থক্য নাই।

ঠিক এই কাৰণতেই বেছিভাগ ৰাজনীতিকৰ মুখৰ কথাৰ বিশেষ একো মূল্য নাই। তেওঁ সকলো ত্যাগ কৰিব পাৰে— নিজৰ বিবেক জলাঞ্জলি দিব পাৰে, ব্যক্তিগত সুখ-স্বাচ্ছন্দ্য বিসৰ্জন দিব পাৰে, মান-সন্মানৰ জান পুৰি খাব পাৰে, কিন্তু এটা লোভ তেওঁ কেতিয়াও পৰিত্যাগ কৰিব নোৱাৰে। সেইটো হ'ল ক্ষমতাৰ লোভ। আনকি ৰাজনীতিকসকলৰ মাজত যিজন আটাইতকৈ সৎ, নিৰ্লোভ আৰু নিঃস্বাৰ্থ, আনকি তেওঁও ক্ষমতাৰ ন্যস্ত-স্বাৰ্থৰ দাসত্বৰ পৰা কেতিয়াও নিজকে সহজে মুক্ত কৰিব নোৱাৰে। পৰা হ'লে তেওঁ যেতিয়াই নিজৰ ব্যৰ্থতা আৰু অক্ষমতা বুজি পালেহেঁতেন তেতিয়াই সমাজৰ বৃহত্তৰ স্বাৰ্থত তেওঁ স্বেচ্ছাই শাসন-ক্ষমতা ত্যাগ কৰিলেহেঁতেন। তেওঁ হয়তো সৎ সংকল্প লৈয়েই ক্ষমতা পাবলৈ চেষ্টা কৰে, কিন্তু এবাৰ ক্ষমতা পোৱাৰ পাচত সি পৰিণত হয় ন্যস্ত-স্বাৰ্থত; তাৰ পাচত তেওঁৰ বেছিভাগ সময় খৰচ হয় আদৰ্শৰ সাধনাতকৈ ক্ষমতা ৰক্ষা কৰাৰ চেষ্টাত। সমাজত স্বাৰ্থন্বেষী বুদ্ধিজীৱীৰ ভূমিকা সম্পৰ্কে জাৰ্মান সমাজ-সমালোচক হান্চ্ ওৱেন্‌কেই যি কৈছিল, সেই একেখিনি কথাকে ক্ষমতালিপ্সু ৰাজনীতিকৰ বিষয়েও ক'ব পাৰি। ওৱেন্‌কেৰ মতে এইসকল লোকৰ চিন্তা-ধাৰা হ'ল এনে ধৰণৰ— "Once appointed to official position, I will be an unobtrusive and morally neutral instrument and I will try to become indispensable, thus getting the whole business into my hands. The less notice I attract the better for me. Moreover, I can rely on the fact that those who have begun the organisation for which I work, will, through inertia, tend more and more to leave the running of it to me, their indispensable agent, thus I shall remain in control of the situation, which is better than standing outside it or being controlled by it."

ক্ষমতাৰ ন্যস্ত-স্বাৰ্থৰ তাড়নাত বেছিভাগ ৰাজনীতিকে কেনেকৈ নিজৰ মত পৰিবৰ্তন কৰে বা পৰিবৰ্তিত পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই আত্মৰক্ষা কৰিবলৈ চেষ্টা কৰে, সেই কথাবো উল্লেখ কৰি ওৱেন্‌কেই পুনৰ কৈছে— "Politicians who leave the governing regime for the opposition or vice versa would provide a wealth of materials for the study of this subject."

মেলেৰীয়া ৰুগৰ আগৰ দণ্ডিৰাম আৰু পিচৰ দণ্ডিৰামৰ দৰে আমাৰ কোনো নেতাৰ ক্ষমতালৈ অহাৰ আগৰ ৰূপ আৰু পিচৰ ৰূপ যদি কোনোবাই তুলনা কৰি চায়, তেতিয়া হ'লে দেখিব যে তেওঁৰ ক্ষমতাত আৰোহণৰ মূল-মন্ত্ৰ হ'ল নিজকে ফাঁকি দিব পৰাৰ অন্তহীন ক্ষমতা, নিজৰ বিবেকৰ লগত আপোচ কৰাৰ ক্ষমতা, একেবোৰ শব্দকে স্বাৰ্থৰ প্ৰয়োজন অনুসৰি হাজাৰবাৰ বিকৃত আৰু ক্ষত-বিক্ষত কৰিব পৰাৰ ক্ষমতা।

ৰাজনীতিকৰ অভিধানত বহুতো শব্দই আজি নতুন অৰ্থ পৰিগ্ৰহ কৰিছে।

মৰীচিকা

এটা ভয়ঙ্কৰ দুঃস্বপ্নৰ দৰে ১৯৭৪ চনটো পাৰ হৈ গ'ল। বহুতেই হয়তো মনে মনে আশা কৰিছিল যে নতুন বছৰৰ লগে লগে অৱস্থাৰ সামান্য পৰিবৰ্তন হ'ব। তেনে আশাৰ কিবা বাস্তৱ ভিত্তি যে আছিল সেইটো নহয়। আশা কৰিছিল এই কাৰণেই যে আশা কৰাটোৱে মানুহৰ স্বভাৱ। কিন্তু কেজিত তিনি টকা দামৰ নতুন চাউল কিনি মাঘৰ ভোগালী (?) বিহু পাতিবলৈ ওলোৱা মানুহৰ মনত নিশ্চয় সেই আশা ইতিমধ্যে ভাগি চুৰমাৰ হৈ গ'ল। ধান কটাৰ বতৰত কেজিত তিনি টকা দাম দি নতুন চাউল খাব লগা হোৱাটো অসমৰ মানুহৰ কাৰণে নিশ্চয় এটা অভূতপূৰ্ব আৰু ভয়ঙ্কৰ অভিজ্ঞতা। ভোগালী বিহুৰ এনে কঙালী ৰোগ অসমৰ মানুহে আগতে কেতিয়াও দেখা নাছিল। নতুন বছৰে মানুহৰ মনলৈ এতিয়া আৰু নতুন কোনো আশাৰ বতৰা অনা নাই, আনিছে কেৱল নৈৰাশ্য আৰু আতঙ্ক। চৰকাৰৰ নিৰ্লজ্জ প্ৰচাৰ যন্ত্ৰ আকাশবাণীৰ যোগেদি অসাধু আৰু আত্মপ্ৰতাৰক মন্ত্ৰীয়ে দিয়া কোনো সমাজবাদী বক্তৃতাই সেই নৈৰাশ্য আৰু আতঙ্ক দূৰ কৰিব নোৱাৰে। যোৱা কেইবছৰমানত এটা কামতেই চৰকাৰ সম্পূৰ্ণ কৃতকাৰ্য্য হৈছে, সেইটো হৈছে এই যে চৰকাৰৰ ওপৰত ৰাইজৰ আস্থা আৰু বিশ্বাস সম্পূৰ্ণভাৱে নষ্ট কৰি দিবলৈ চৰকাৰ সমৰ্থ হৈছে।

খাদ্য সামগ্ৰীৰ অভূতপূৰ্ব মূল্যবৃদ্ধিয়ে চহৰ-বাসী খাতি খোৱা মানুহৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। আনহাতে ধান সংগ্ৰহৰ নামত অসমৰ গাঁৱে গাঁৱে নৈতিক আধুনিক ধৰণৰ সূক্ষ্ম সন্ত্ৰাসৰ ৰাজত্ব চলিছে। ধান সংগ্ৰহৰ অভিযান সফল কৰি তুলিবলৈ চৰকাৰে নৈতিক আবেদনৰ পৰিবৰ্তে বলপ্ৰয়োগৰ আশ্ৰয় ল'বলগীয়া হৈছে। ঘাইকৈ দুটা কাৰণত চৰকাৰে বান্ধি দিয়া দামত ধান বিক্ৰী কৰিবলৈ খেতিয়কসকল অনিচ্ছুক। প্ৰধানতঃ যোৱা বছৰ ধান-চাউলৰ পাইকাৰী ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ নিয়াৰ সময়ত খেতিয়কসকলক এই আশ্বাস দিয়া হৈছিল যে চৰকাৰে যি দামতেই ধান কিনিছে, সেই একে দামতেই নাটনিৰ সময়ত খেতিয়কক পৰ্য্যাপ্ত পৰিমাণৰ ধান-চাউলৰ যোগান দিয়া হ'ব। চৰকাৰে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে। দুখীয়া খেতিয়কে ধান কটাৰ বতৰত চৰকাৰে বান্ধি দিয়া দামত ধান বিক্ৰী কৰি পিছত নাটনিৰ সময়ত দুগুণ তিনিগুণ দাম দি ধান কিনি খাব লগা হ'ল, কিনিব নোৱৰাসকলে নাখাই মৰিব লগা হ'ল, সেই তিক্ত অভিজ্ঞতা তেওঁলোকে কেতিয়াও নাপাহৰে। দ্বিতীয়তে, চৰকাৰে বান্ধি দিয়া নিৰ্দিষ্ট মূল্যত খেতিয়কক ধান বিক্ৰী কৰিবলৈ বাধ্য কৰা হৈছে, কিন্তু আনহাতে জীৱন-ধাৰণৰ নিত্য-প্ৰয়োজনীয় আন কোনো বস্তুকেই চৰকাৰে সুলভ বা সুস্থিৰ মূল্যত খেতিয়কক দিব পৰা নাই। এনে অৱস্থাত কোনো খেতিয়কেই চৰকাৰী মূল্যত ধান বিক্ৰী কৰিবলৈ উৎসাহ বোধ নকৰাটো নিত্যান্তই স্বাভাৱিক। ফলত চৰকাৰে জোৰ-জবৰদস্তিৰ আশ্ৰয় ল'ব লগা হৈছে। এনে জোৰ-জবৰদস্তিৰ নীতিৰ দ্বাৰা চৰকাৰৰ হ্ৰস্ব-ম্যাদী উদ্দেশ্য হয়তো সিদ্ধ হ'ব, ধান-সংগ্ৰহৰ নিম্নতম লক্ষ্য পূৰণ হ'ব, কিন্তু তাৰ দীৰ্ঘ-ম্যাদী পৰিণাম হ'ব অতি ক্ষতিকাৰক। চৰকাৰে যি পদ্ধতিৰে ধান-সংগ্ৰহৰ কামত আগবাঢ়িছে, গাঁৱলীয়া খেতিয়ক ৰাইজে ইতিমধ্যেই তাক দিন-ডকাইতি বুলি অভিহিত কৰিছে। ৰাজ্যখনৰ বিৰাট গ্ৰামাঞ্চলত ক্ৰোধ আৰু অসন্তোষ ধূমায়িত হ'ব ধৰিছে। চৰকাৰ আৰু ৰাইজৰ মাজত যি সামান্য আন্তৰিক যোগাযোগ অৱশিষ্ট আছিল— সিও সম্পূৰ্ণ বিনষ্ট

হৈছে। চৰকাৰে আজি এনে এটা পৰিৱেশৰ সৃষ্টি কৰিছে, য'ত খেতিয়ক আৰু কনুৱাই আন্তৰিকভাৱে শ্ৰম কৰি দেশৰ অৰ্থনৈতিক বিকাশত নিজ নিজ সাধ্যানুসৰি বৰঙণি যোগোৱাৰ উদ্যম হেৰুৱাই পেলাইছে। ইয়াৰ সুদূৰ-প্ৰসাৰী পৰিণাম যে দেশৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশ আৰু উৎপাদন বৃদ্ধিৰ কাৰণে ক্ষতিকাৰক হ'ব, সেই কথা নিৰ্বোধ আৰু অদূৰদৰ্শী চৰকাৰে বুজ পোৱা নাই। দেশৰ বহু অঞ্চলত বৌহ খেতিয়কসকলে চৰকাৰৰ মূল্য-নীতিত অসন্তুষ্ট হৈ বৌহ-খেতিৰ পৰিমাণ কমাই দিছে। ধান-খেতিয়ক সকলেও সেই একে পথ অনুসৰণ কৰিব পাৰে। চৰকাৰে খেতিয়কক চৰকাৰী দামত ধান বিক্ৰী কৰিবলৈ বাধ্য কৰাৰ লগতে জীৱন-ধাৰণৰ অন্যান্য নিত্য-প্ৰয়োজনীয় বস্তুবোৰ খেতিয়কক ন্যায্য মূল্যত দিয়াৰ ব্যৱস্থা কৰিব পাৰিব লাগিব; তাকে কৰিব নোৱাৰিলে খেতিয়কৰ পৰা বলপূৰ্বক ধান সংগ্ৰহ কৰিবলৈ চৰকাৰৰ কোনো নৈতিক অধিকাৰ নাই।

দেশত অৰ্থনৈতিক সংকটে তীব্ৰতম ৰূপ ধাৰণ কৰিছে। মানুহৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা হৈছে। সমাজৰ কোনো শ্ৰেণীৰ মানুহেই আজি চৰকাৰৰ ওপৰত সন্তুষ্ট নহয়। সংসদী গণতন্ত্ৰৰ প্ৰধান আকৰ্ষণ এইটোৱেই যে যেতিয়াই বাইজে কোনো এটা বিশেষ চৰকাৰৰ ওপৰত আস্থা হেৰুৱাই পেলায়, তেতিয়াই বেলট বাকচৰ যোগেদি সেই চৰকাৰক ক্ষমতা-চ্যুত কৰি আন এটা দলক বিকল্প চৰকাৰ গঠন কৰিবলৈ সুবিধা দিব পাৰে। কিন্তু যি কাৰণতেই নহওক, স্বাধীনতা লাভৰ সাতাইশ বছৰৰ পিছতো ভাৰতত আজিও তেনে এটা অৱস্থাৰ সৃষ্টি নহ'ল। ইতিমধ্যে নিৰ্বাচনৰ উদ্যোগ-পৰ্ব আৰম্ভ হৈছে। স্বাভাৱিকভাৱে ১৯৭৬ চনৰ আগ ভাগত হ'ব লগা লোকসভা নিৰ্বাচন ১৯৭৫ চনৰ যি কোনো সময়তে অকস্মাতে হ'ব পাৰে বুলি উদ্দেশ্য-প্ৰণোদিতভাৱে চৰকাৰৰ তৰফৰ পৰা এটা জনৰৱ প্ৰচাৰ কৰা হৈছে। কিন্তু নিৰ্বাচন যি সময়তেই জনতাৰ ভাগ্যৰ লগত তাৰ কিবা সম্পৰ্ক আছেনে? ঠিক এই মুহূৰ্তত কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে ৰাইজৰ ক্ৰোধ আৰু অসন্তুষ্টিৰ সীমা নোহোৱা হৈছে। কেৱল অৰ্থনৈতিক সংকটেই এই ক্ৰোধ আৰু অসন্তুষ্টিৰ একমাত্ৰ কাৰণ নহয়। জনসাধাৰণে হঠাৎ অনুভৱ কৰিবলৈ আৰম্ভ কৰিছে যে বৰ্তমানৰ চৰকাৰে দেশত এটা অভূতপূৰ্ব অৰ্থনৈতিক সংকট সৃষ্টি কৰিয়েই ক্ষান্ত থকা নাই, তাৰ লগে লগে সি এটা গভীৰ নৈতিক সংকটৰো সৃষ্টি কৰিছে। ক্ষমতা দখলৰ স্বাৰ্থত এহাতে কংগ্ৰেছৰ বৰ্তমান নেতৃবৃন্দই নানা পপুলিষ্ট শ্লোগান আওঁৰাই জনতাৰ মনত মিছা আশা জগাই তুলিছে, আনহাতে সেই আশা পূৰণ কৰিব নোৱাৰি ক্ষমতা ৰক্ষাৰ কাৰণে জন-সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰিবলৈ এৰি নানা দুৰ্নীতি, কূট-কৌশল আৰু দমন-নীতিৰ আশ্ৰয় লৈছে। যোৱা কেইবছৰমানৰ ভিতৰতে নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ দ্ৰুতগতিৰে খৰ্ব কৰা হৈছে, মতান্তৰৰ প্ৰতি অসহিষ্ণুতা বৃদ্ধি পাইছে, বাতৰি কাকতৰ স্বাধীনতাৰ বিৰুদ্ধে চৰকাৰী আক্ৰমণ তীব্ৰতৰ হৈছে, কিন্তু এইবোৰৰ কোনো এটা কামেই জনতাৰ বৃহত্তৰ স্বাৰ্থত কৰা হোৱা নাই, কৰা হৈছে মুষ্টিমেয় শাসক শ্ৰেণীৰ ক্ষমতা-ৰক্ষাৰ ক্ষুদ্ৰ স্বাৰ্থত। ৰাজনৈতিক জীৱনৰ পৰা নৈতিক বিচাৰ-বিবেচনাকে সম্পূৰ্ণভাৱে নিৰ্বাসিত কৰা হৈছে। ১৯৬৯ চনত কংগ্ৰেছৰ বিভাজন আৰু শ্ৰীমতী গান্ধীৰ নেতৃত্বৰ অভ্যুদয়ক জনতাই যি আশাৰে সৈতে স্বাগতম জনাইছিল, সেই আশা আজি এক বিৰাট ধ্বংস-স্তূপত পৰিণত হৈছে। তদুপৰি যোৱা কেইবছৰমানৰ ভিতৰতে এনে কিছুমান ৰহস্যজনক ঘটনা ঘটিব ধৰিছে, যিবোৰে জনসাধাৰণৰ মনত চৰকাৰৰ প্ৰতি কেতবোৰ ভয়াবহ, ভাষাহীন আৰু অব্যাখ্যাত সন্দেহৰ ভাব জগাই তুলিছে। চৰকাৰো যে নিশ্চিন্ত সেই কথা ক'ব নোৱাৰি। তোজ-সভাত বাংকোৰ ভূত দেখি মেক্‌বেথ্ আতংকিত হৈ উঠাৰ দৰে চৰকাৰো আতংকিত, কিন্তু চৰকাৰৰ এই আতংক জনসাধাৰণৰ কাৰণে আৰু বেছি ভয়ৰ কাৰণ। কাৰণ এবাৰ যি চৰকাৰে নীতি-বোধ আৰু হৃদয়-

বৃত্তিক বিসর্জন দিছে, সেই চৰকাৰৰ পিছলৈ ঘূৰি চাবলৈ কোনো উপায় নাই, সেই একে ভয়ংকৰ পথত চৰকাৰ আগবাঢ়ি গৈয়েই থাকিব লাগিব। ৰাইজে আজি এই কথা বুজি পাইছে। তথাপি ৰাইজ নিৰুপায়। নিৰ্বাচন আসন্ন, কিন্তু কংগ্রেছৰ বিকল্প ক'ত? কংগ্ৰেছ আজিও ক্ষমতাত টিকি আছে এই কাৰণে নহয় যে ৰাইজে কংগ্রেছক বিচাৰে; কংগ্ৰেছ টিকি আছে সম্পূর্ণ নেতি-বাচক কাৰণত, টিকি আছে কেবল এই কাৰণেই যে জনতাই আজিলৈকে কংগ্ৰেছৰ কোনো বিকল্প শক্তি সৃষ্টি কৰিব নোৱাৰিলে। জয়প্রকাশৰ আন্দোলনো প্রকৃতপক্ষে এটা নেতিবাচক আন্দোলন। এটা প্রচণ্ড নৈতিক প্রতিবাদ আৰু জনসাধাৰণৰ এটা বিৰাট বহিঃ প্রকাশ হিচাবে এই আন্দোলনৰ এটা বিৰাট ৰাজনৈতিক তাৎপৰ্য্য থাকিলেও জনতাৰ প্রার্থনাৰ চূড়ান্ত উত্তৰ এই আন্দোলনত নাই। ভাগ্যৰ এনেকুৱা পৰিহাস যে নিৰ্বাচন আসন্ন, কংগ্ৰেছক এটা শিক্ষা দিয়াৰ সুযোগ সমুপস্থিত, জনতাৰ মনো তাৰ কাৰণেই প্রস্তুত। অথচ জনসাধাৰণৰ সমুখত আজিও কোনো বিকল্প পথ নাই। ভাৰতীয় জনতাৰ অজ্ঞতা, কুসংস্কাৰ, নীৰক্ষৰতা, দাৰিদ্র্য আৰু শতাব্দী প্রাচীন কু-সংস্কাৰৰ সমুদ্ৰমন্থন কৰি কংগ্ৰেছে বাৰে বাৰে বিজয়-গৌৰব আহৰণ কৰিছে, সেই প্রক্রিয়া অন্ত পৰাৰ লক্ষণ এতিয়ালৈ কাৰো চকুত পৰা নাই। নৈৰাশ্যৰ এই অন্তহীন মৰুভূমিত ১৯৭৪ বা ১৯৭৭ চনৰ নিৰ্বাচন একো একোটা মৰীচিকা মাত্র, তাৰ বেছি আন একো নহয়। মৰুদ্যান দেখা পাবলৈ বা মৰুভূমি শেষ হ'বলৈ এতিয়াও বহু পথ বাকী।

অসমৰ ৰক্ত শোষণ কৰাৰ ষড়যন্ত্ৰ

ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত অসমতেই এসময়ত তেলৰ পুং ওলাইছিল আৰু বহু বছৰ ধৰি অসমেই একমাত্ৰ তেল উৎপাদনকাৰী ৰাজ্য বুলি পৰিচিত আছিল। মাত্ৰ কেই বছৰমানৰ আগৰ পৰাহে পশ্চিম উপকূলতো তেলৰ পুং আৱিষ্কৃত হৈছে। দেশ পৰাধীন হৈ থাকোতে বিদেশী শাসকে অসমৰ খাৰুৱা তেল অসমতেই শোধন কৰাৰ ব্যৱস্থা কৰিছিল। অসমত শোধনাগাৰ স্থাপন কৰাৰ বিৰুদ্ধে তেতিয়া কোনো কূট-তৰ্ক বা নীচ ষড়যন্ত্ৰ কৰাৰ প্ৰয়োজন নহৈছিল। কিন্তু দেশ স্বাধীন হোৱাৰ পিছত অসমত নতুনকৈ ওলোৱা খাৰুৱা তেল শোধন কৰিবলৈ এটা পতলা শোধনাগাৰ স্থাপন কৰিবলৈকো অসমৰ মানুহে গণ-আন্দোলন কৰিব লগা হ'ল। ভাৰতৰ একমাত্ৰ সমাজবাদী শ্ৰীকেশৱ দেৱ মালব্য তেতিয়া তেল মন্ত্ৰী আছিল। সেই ভদ্ৰলোকে অসমক তেল শোধনাগাৰৰ পৰা বঞ্চিত কৰিবৰ কাৰণে সকলো প্ৰকাৰৰ ষড়যন্ত্ৰ আৰু কূট-কৌশলৰ আশ্ৰয় লৈছিল। বিদেশী উপনিৱেশবাদীসকলে আঁতৰি যোৱাৰ পিচত ভাৰতত এক নতুন ধৰণৰ স্বদেশী উপনিৱেশবাদৰ সৃষ্টি হৈছে। এই নব্য-উপনিৱেশবাদীসকলে ৰাজনৈতিকভাৱে দুৰ্বল ৰাজ্যবোৰক শোষণ কৰি দেশখনত কেৱল আঞ্চলিক বৈষম্যৰ সৃষ্টি কৰিয়েই ক্ষান্ত থকা নাই; বিভিন্ন জনগোষ্ঠীৰ মনত ক্ষোভ আৰু অসন্তোষ পুঞ্জীভূত হ'বলৈ সুবিধা দি দেশখনৰ ৰাজনৈতিক ঐক্য আৰু আবেগিক সংহতিকো বিপন্ন কৰি তুলিছে। সমগ্ৰ পূব-ভাৰতেই এই স্বদেশী উপনিৱেশবাদৰ বলি হৈছে, তাৰে ভিতৰত অসমৰ অৱস্থা আটাইতকৈ দুখ লগা। পশ্চিম ভাৰতৰ প্ৰধান কৃষিজাত উৎপন্ন দ্ৰব্য কপাঁহ আৰু পূব ভাৰতৰ প্ৰধান উৎপন্ন-দ্ৰব্য মৰাপাটৰ মূল্য নিৰূপণৰ ক্ষেত্ৰত চৰম বৈষম্য-মূলক নীতি গ্ৰহণ কৰি কি ভাবে পূব ভাৰতৰ অৰ্থনীতিক চিৰকালৰ কাৰণে পংগু কৰি ৰাখিবলৈ ষড়যন্ত্ৰ কৰি থকা হৈছে— সেই কথা বিভিন্ন সাংবাদিক আৰু অৰ্থনীতিবিদে চৰকাৰী তথ্য-পাতিৰ সহায়তেই প্ৰমাণ কৰি দেখুৱাইছে।

অসমৰ অন্যতম প্ৰধান প্ৰাকৃতিক সম্পদ হ'ল তেল। অসমে এই তেল সম্পদৰ ন্যায্য সুফলখিনি ভোগ কৰিবলৈ পোৱা হ'লে এই ৰাজ্যৰ অৰ্থনৈতিক চিত্ৰই সম্পূৰ্ণ ৰূপে সলনি হৈ গ'লহেঁতেন। কিন্তু এই ৰাজ্যৰ মেৰুদণ্ডহীন দুৰ্বল ৰাজনৈতিক নেতৃত্ব আৰু ভাৰতৰ স্বদেশী নব্য উপনিৱেশবাদী শক্তিবোৰৰ সু-পৰিকল্পিত ষড়যন্ত্ৰৰ ফলত আজিলৈকে সেইটো সম্ভৱ হৈ উঠা নাই। তেল আৰু প্ৰাকৃতিক গেছ আয়োগে যোৱা কেইবছৰমানত অসমত তেল আহৰণৰ চেষ্টা শিঠিল কৰি দিছিল। তাৰ মূলতে কিবা কাৰিকৰী আৰু অৰ্থনৈতিক কাৰণো থাকিব পাৰে; কিন্তু লগতে এই বুলিও সন্দেহ কৰিবলৈ স্থল আছে যে অসমত নতুনকৈ খাৰুৱা তেল ওলালে অসমৰ বাহিৰে ইয়াতেই আৰু এটা শোধনাগাৰ স্থাপন কৰিবলৈ দাবী তোলে বুলি ভয় কৰিও তেল আহৰণৰ চেষ্টা শিঠিল কৰি দিয়া হৈছিল। কলিকতাৰ ষ্টেটচমেন কাকতক অসমৰ ন্যায্য আশা-আকাংক্ষাৰ প্ৰতি খুব বেছি সহানুভূতিশীল বুলি আমি নাভাবো। কিন্তু সেই কাকতেও অলপতে এটা সম্পাদকীয় প্ৰবন্ধত লিখিছে— "**The smallness of the saving, however, does not justify official neglect of the Assam Oil-field in the last five years, The neglect can not be ascribed altogether to the Assamese demand that the entire production of that state should be refined within its boundaries (December 17, 1974),** পি বি কি নহওক, সম্প্ৰতি

আন্তৰ্জাতিক তেল সংকটৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে অসমত খাৰুৱা তেলৰ উৎপাদন বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। কিন্তু লগতে কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্তও লৈছে যে অসমত নতুনকৈ আহৰণ কৰা খাৰুৱা তেলৰ শোধনৰ কাৰণে এই ৰাজ্যত নতুন শোধনাগাৰ স্থাপন কৰা নহ'ব, সম্প্ৰতি চলি থকা পুতলা শোধনাগাৰটোৰ শোধন ক্ষমতা বৃদ্ধি কৰাও নহ'ব, বৰং নতুনকৈ ওলোৱা গোটেই খাৰুৱা তেলখিনি লৈ যোৱা হ'ব পশ্চিমবংগৰ হালদিয়া শোধনাগাৰলৈ। কেন্দ্ৰীয় চৰকাৰৰ এই চক্ৰান্ত অসমৰ কাৰণে এটা নতুন অপ্ৰত্যাশিত খবৰ নহয়। অসম বিধান সভাৰ যোৱা অধিৱেশনতে ডঃ ৰবীন্দ্ৰকুমাৰ গোস্বামীয়ে অখণ্ডনীয় তথ্য-পাতিৰ সহায়েৰে এই চক্ৰান্তৰ বিষয়ে অসম চৰকাৰক আৰু অসমৰ ৰাইজক সময় থাকোতেই সাৱধান কৰি দিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে আজি অসমত চৰকাৰ চলাইছে এনে কিছুমান মানুহে— যিবোৰ মানুহৰ বুদ্ধি-বৃত্তি আৰু মানসিকতা এখন পঞ্চায়ত চলাবৰ বাবেহে উপযোগী; আধুনিক অৰ্থনৈতিক চিন্তা আৰু দূৰদৰ্শিতাৰে সৈতে এখন ৰাজ্য চলাবৰ উপযোগী নহয়। ফলত ডঃ গোস্বামীৰ সাৱধান-বাণী তেওঁলোকৰ একাণে সোমাই আন কাণে ওলাই গ'ল।

অসমৰ তুলনাত পশ্চিম বংগৰ অৱস্থা হাজাৰ গুণে বেছি ভাল। অথচ পশ্চিম বংগৰ প্ৰতি কেন্দ্ৰৰ দুৰ্ব্যৱহাৰৰ কথা আলোচনা কৰি অলপতে এজন বাঙালী সাংবাদিকে লিখিছে— "আমাৰ এটা অত্যন্ত ভুল ধাৰণা আছে। এই ভুল ধাৰণাটো হ'ল এই যে কেন্দ্ৰত যদি কোনো গুৰুত্বপূৰ্ণ পদত এজন বাঙালী মন্ত্ৰী থাকে, তেন্তে তাৰ ফলত পশ্চিমবংগ বিশেষভাৱে লাভবান হ'ব পাৰে। এই ধাৰণাটো যে কিমান ভুল সেই কথা বহুবাৰ প্ৰমাণিত হৈছে।" ... ঠিক সেই একেটা কথাকে অসমৰ বিষয়েও ক'ব পাৰি। অসমে যেতিয়া প্ৰথমটো শোধনাগাৰ পাবৰ কাৰণে আন্দোলন কৰিব লগা হৈছিল, তেতিয়া কেন্দ্ৰত তেল মন্ত্ৰী আছিল অসম-বিদ্বেষী শ্ৰীকে. ডি. মালব্য। কিন্তু এইবাৰ যেতিয়া অসমৰ সমস্ত খাৰুৱা তেল সম্প্ৰসাৰিত পাইপ লাইনৰ যোগেদি হালদিয়ালৈ লৈ যোৱাৰ সমস্ত চক্ৰান্ত সম্পূৰ্ণ কৰা হ'ল, তেতিয়া কিন্তু কেন্দ্ৰত তেল-মন্ত্ৰী আছিল অসমৰ শ্ৰীদেৱকান্ত বৰুৱা। এইবাৰ তেন্তে অসমে কাৰ বিৰুদ্ধে আস্ফালন কৰে?

ভাৰতৰ অন্যান্য বহু ৰাজ্যৰ তুলনাত আসমৰ নেতাসকলৰ এটা ডাঙৰ পাৰ্থক্য আছে। আন ৰাজ্যৰ নেতাসকলৰ শক্তিৰ প্ৰধান উৎস হ'ল নিজ নিজ ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি আনুগত্য। অসমৰ নেতাসকলৰ শক্তিৰ একমাত্ৰ উৎস হ'ল কেন্দ্ৰীয় নেতৃবৃন্দৰ প্ৰতি নিৰ্লজ্জ তোষামোদ। সি যি কি নহওক, অসমৰ খাৰুৱা তেলৰ অৰ্থনৈতিক সুফলৰ পৰা অসমক বঞ্চিত কৰিবলৈ যি শেহতীয়া ষড়যন্ত্ৰ চলিছে, তাৰ বিৰুদ্ধে যদি অসমত পুনৰ এটা গণ-আন্দোলন গঢ়ি তুলিব লগা হয়, তেন্তে তাৰ সমস্ত নৈতিক দায়িত্ব কেন্দ্ৰীয় চৰকাৰ আৰু শ্ৰীদেৱকান্ত বৰুৱাৰ নিচিনা লোকসকলেই ল'ব লাগিব। নিৰ্বাচন কাষ-চাপি আহিছে। সময় থাকোতেই অসমৰ ৰাইজে অসমৰ বৰ্তমান চৰকাৰৰ ওচৰত এই বুলি দাবী কৰক যে অসমৰ স্বাৰ্থৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰৰ এই ষড়যন্ত্ৰ ব্যৰ্থ কৰিব নোৱাৰিলে তেওঁলোকে যেন নিৰ্বাচনৰ সময়ত অসমৰ ৰাইজৰ ভোট খুজিবলৈ নাহে।

সাপ্তাহিক নীলাচল, ৩১৬ সংখ্যা : ১২ ফেব্ৰুৱাৰী, ১৯৭৫ চন

ৰাইজ আৰু চৰকাৰ

বিধান সাভত ৰাজ্যপালে দিয়া উদ্বোধনী ভাষণ এখন গুৰুত্বপূৰ্ণ দলিল। নামত ৰাজ্যপালৰ ভাষণ যদিও আচলতে এই ভাষণ শাসনাধিষ্ঠিত চৰকাৰে ৰচনা কৰে। গতিকে এই ভাষণৰ মাজত চৰকাৰৰ চৰিত্ৰ আৰু মানসিকতা ফুটি উঠে। জনসাধাৰণৰ আশা-আকাংক্ষা দুখ-দুৰ্গতিৰ প্ৰতি চৰকাৰ কিমানখিনি সচেতন তেওঁলোকৰ কোনবিলাক সমস্যা চৰকাৰে অগ্ৰাধিকাৰ দিয়ে, সেইবোৰ সমস্যাক সমাধান কৰিবলৈ চৰকাৰৰ কিমানখিনি আত্মবিশ্বাস আৰু কৰ্মদক্ষতা আছে, এই আটাইবোৰ কথা ৰাজ্যপালৰ ভাষণত ফুটি উঠে। এইবাৰ ৰাজ্যপালে বিধানসভাত দিয়া ভাষণৰ বিষয়ে একে আষাৰে এই কথাই ক'ব পাৰি যে চৰকাৰে ৰুটিন মাফিক যান্ত্ৰিকভাৱে কৰি থকা কেতবোৰ কামৰ ই এখন নিষ্প্ৰাণ তালিকা মাত্ৰ। এই তালিকাখন পঢ়ি ৰাইজে বিগত বছৰটোৰ বিষয়ে সন্তুষ্ট হ'বলৈ বা ভৱিষ্যতৰ বিষয়ে আশান্বিত হ'বলৈ কোনো কাৰণ নাই।

সংসদী গণতান্ত্ৰিক ব্যৱস্থাত এটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নৱগঠিত হোৱা প্ৰত্যেকটো চৰকাৰৰে এটা নিজস্ব চৰিত্ৰ থাকে বা থকা উচিত। বছৰি বছৰি ৰাজ্যপালে বিধানসভাত দিয়া উদ্বোধনী ভাষণত চৰকাৰৰ চৰিত্ৰ কিছু পৰিমাণে ফুটি উঠে। বিশেষকৈ শ্ৰীসিংহ নেতৃত্বাধীন অসমৰ বৰ্তমান কংগ্ৰেছ চৰকাৰে সমাজবাদৰ নামাৱলী গাত লৈ বহুত লম্ফ-জম্ফ কৰি ৰাইজৰ আগত দেখা দিছিল। গতিকে ৰাইজে স্বাভাৱিকভাৱেই নানা নতুন কাম-কাজৰ মাজেদি এই চৰকাৰৰ এটা নতুন ৰূপ বা চৰিত্ৰ দেখা পাবলৈ আশা কৰিছিল। কিন্তু ৰাজ্যপালৰ ভাষণখিনি যদি এই চৰকাৰৰ যোৱা এটা বছৰৰ কাম-কাজৰ খতিয়ান হয়, তেনেহ'লে এই কথা নিশ্চয় ক'ব লাগিব যে যদুক দেখি মধুক মুখ্যমন্ত্ৰী পতাৰ কোনো দৰকাৰ নাছিল। ৰাজ্যপালৰ ভাষণত চৰকাৰে যোৱা এটা বছৰে যিবোৰ কাম কৰা বুলি জাহিৰ কৰি দেখুৱাইছে, সেইবোৰ চিৰাচৰিত গতানুগতিক কাম যদু, ৰাম, শ্যাম যিকোনো মুখ্যমন্ত্ৰীয়ে কৰিলেহেঁতেন কাৰণে সমাজবাদ বা প্ৰগতিবাদৰ জয়ঢোল বজোৱা এজন মুখ্যমন্ত্ৰীৰ কোনো প্ৰয়োজন নাছিল। সঁচা কথা ক'বলৈ গ'লে যিবোৰ ৰুটিন মাফিক কাম-কাজ হৈছে বা হৈ আছে— এইবোৰ কাম-কাজ হৈছে In spite of the Government, because of it– অৰ্থাৎ চৰকাৰ এটা আছে বুলিহে যে এইবোৰ কাম-কাজ হৈছে এনে নহয়, চৰকাৰ এটা থকা সত্ত্বেও এইবোৰ কাম-কাজ হৈছে। একে আষাৰে ক'বলৈ গ'লে, ৰাজ্যপালৰ ভাষণত ফুটি উঠিছে এটা ব্যক্তিত্বহীন চৰকাৰৰ দিগভ্ৰান্ত মানসিকতাৰ পৰিচয়। ক্ষমতালৈ অহাৰ তৃতীয় বছৰতো এই চৰকাৰে কোন পালে কেনেকৈ খোজ দিব সেই কথা ঠিক কৰি ল'ব নোৱাৰিলে।

অৱশ্যে এই চৰকাৰে যে নতুন কোনো এটা কামেই কৰা নাই সেই কথা সঁচা নহয়। কেৱল দুৰ্ভাগ্যৰ কথা এয়ে যে সেই একেটা মাত্ৰ নতুন কামৰ দ্বাৰা বৰ্তমানৰ চৰকাৰে ৰাজ্যখনলৈ অভূতপূৰ্ব অৰ্থনৈতিক সংকট মাতি আনিলে। কামটো হ'ল ধান-চাউলৰ চৰকাৰী পাইকাৰী ব্যৱসায়ৰ নামত জনসাধাৰণৰ প্ৰাণ লৈ খেলা অবিশ্বাস্য জুৱা খেল। স্পষ্টভাৱেই ই জুৱা-খেলৰ বাহিৰে আন একো নহয়। কিন্তু এই জুৱা-খেলা ৰাইজৰ মঙ্গলৰ কথা চিন্তা কৰি খেলা হোৱা নাই; অন্ততঃ এই বছৰ চৰকাৰে যি মনোবৃত্তি আৰু যি পদ্ধতিৰে ধান সংগ্ৰহৰ কামত আগবাঢ়িছে, তাৰ পৰা এই কথা স্পষ্ট হৈ উঠিছে যে এই জুৱাখেলাৰ একমাত্ৰ উদ্দেশ্য

হ'ল চৰকাৰৰ ইজ্জৎ আৰু ক্ষমতা ৰক্ষা। বিধান সভাত যিজন কংগ্ৰেছী সদস্যই ৰাজ্যপালৰ প্ৰতি ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰিছিল, আনকি তেওঁও বক্তৃতা প্ৰসংগত এই কথা একাধিকবাৰ স্বীকাৰ কৰিছে যে এই বছৰৰ ধান সংগ্ৰহ অভিযানত বহুতো নিৰীহ আৰু নিৰপৰাধ ৰাইজেও চৰকাৰী পুলিছ কৰ্মচাৰীৰ হাতত নানা লঘু-লাঞ্ছনা সহিব লগা হৈছে, মূল্য বৃদ্ধি আৰু দুষ্প্ৰাপ্যতাৰ ফলত বহুতো ৰাইজৰ অশেষ কষ্ট হৈছে। কিন্তু তেওঁ 'সমাজবাদ'ৰ নামত এই সাময়িক দুখ-কষ্ট সহ্য কৰিবলৈ ৰাইজক আহ্বান জনাইছো। কিন্তু সমাজবাদ কি এনে এক নিষ্ঠুৰ দেৱতা যে সি সমাজৰ সৰ্ব শ্ৰেণীৰ মানুৰ তেজ খাইহে জীয়াই থাকে? চাউলৰ ক্ষেত্ৰত স্বাৱলম্বী অসমৰ নিচিনা এখন ৰাজ্যত মাঘ-ফাগুন মাহতেই যদি চাউলৰ দাম কিলোগ্ৰামত তিনি-চাৰি টকাকৈ উঠে, তেন্তে বছৰটোৰ কোনটো মাহত 'কংগ্ৰেছী সমাজবাদ'ৰ আৱিৰ্ভাবলৈ অপেক্ষা কৰি ৰাইজে এতিয়াৰ পৰাই পেটত গাঠি দি থাকিব লাগিব? যি চৰকাৰে মাহৰ পিছত মাহ ধৰি ৰাজহুৱা যোগান ব্যৱস্থাৰ যোগেদি চহৰৰ কিনি খোৱা মানুহক চাউলৰ যোগান দিব নোৱাৰি লঘোনীয়াকৈ বা আধা-পেটীয়াকৈ ৰাখে, যি চৰকাৰে অগ্নি মূল্য চাউলৰ সমান্তৰাল বজাৰ বন্ধ কৰিব নোৱাৰে, যি চৰকাৰে গাঁৱলীয়া খেতিয়ক ৰাইজৰ নিম্নতম প্ৰয়োজনখিনিও পূৰ্ণ কৰিব নোৱাৰে, ৰাইজক চৰকাৰী ৰঙা চকু বা পুলিচৰ টাঙোন দেখুৱাই অপমান কৰিবলৈ সেই চৰকাৰৰ কি অধিকাৰ আছে? বিধান সভাত বিৰোধী দলৰ নেতা শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্যই ঠিকেই কৈছে যে অসমৰ খেতিয়ক ৰাইজৰ বিৰুদ্ধে বৰ্তমানৰ চৰকাৰে যি সন্ত্ৰাস-অভিযান বা দিন-ডকাইতি আৰম্ভ কৰিছে, তাৰ কোনো তুলনা বা পূৰ্ব-দৃষ্টান্ত নাই। 'সিংহ মাৰ্কা' সমাজবাদৰ এই জুতি পোৱাৰ পিছত অসমৰ ৰাইজৰ সমাজবাদৰ লোভ বোধহয় বহুদিনৰ কাৰণে পৰিতৃপ্ত হৈছে।

আটাইতকৈ আচৰিত কথা এইহে যে ৰাজ্যপালৰ ভাষণত অসমৰ এই অভূতপূৰ্ব খাদ্য-সংকটৰ বিন্দু-মাত্ৰ উল্লেখেই নাই। একৈশ লাখ কুইণ্টল ধান সংগ্ৰহৰ লক্ষ্য ধাৰ্য্য কৰি লৈ এতিয়ালৈকে যে মাত্ৰ এঘাৰ লাখ চল্লিশ হাজাৰ কুইণ্টলহে ধান সংগ্ৰহ কৰিব পৰা হৈছে, আৰু চৰকাৰী ধান সংগ্ৰহৰ এই শোচনীয় ব্যৰ্থতাৰ ফলত এই বছৰত অসমৰ ৰাইজৰ কি অবৰ্ণনীয় বিলাই বিপত্তি হ'ব পাৰে, সেই সম্পৰ্কে চৰকাৰৰ কোনো দুশ্চিন্তা নাই। জনসাধাৰণৰ প্ৰতি যি নৈতিক দায়িত্ব আৰু মানৱিক মমত্ববোধ যি কোনো পপুলাৰ চৰকাৰৰ জীৱনী-শক্তি আৰু কৰ্তৃত্বৰ একমাত্ৰ উৎস, অসমৰ বৰ্তমান চৰকাৰে সেই নৈতিক দায়িত্ববোধ আৰু মানৱিক মমত্ববোধ সমূলি হেৰুৱাই পেলাইছে। ফলত তথাকথিত সমাজবাদ প্ৰতিষ্ঠাৰ কাৰণে চৰকাৰে ৰাষ্ট্ৰ-যন্ত্ৰৰ পশু-শক্তি শোষক শ্ৰেণীৰ বিৰুদ্ধে প্ৰয়োগ কৰাৰ পৰিবৰ্তে দৰিদ্ৰ কৃষক-শ্ৰেণীৰ বিৰুদ্ধে প্ৰয়োগ কৰিবলৈ বাধ্য হৈছে। ইয়াৰ কাৰণেই অসমৰ ৰাইজে ১৯৭২ চনত এই লোকসকলৰ প্ৰতি ইমান বিপুল জন-সমৰ্থন আগ বঢ়াইছিলনে? অসম চৰকাৰৰ বৰ্তমান কাৰ্য্য-কলাপ দেখি জেমচ্ ৰাছেল ল'ৱেলৰ এটা আপ্ত-বাক্য মনলৈ আহে। তেওঁ কৈছিল— "যি লোকে ক্ষমতাৰ আসনত দৃঢ়ভাৱে অধিষ্ঠিত হয়, তেওঁ প্ৰগতিৰ পৰিবৰ্তে নিজৰ নিৰাপত্তাকেই ৰাষ্ট্ৰ-নীতিৰ আটাইতকৈ ডাঙৰ শিক্ষা বুলি গণ্য কৰিবলৈ আৰম্ভ কৰে।"

ভাৰতীয় ভণ্ডামী

অসম বিধান সভাৰ বিৰোধী দলৰ এজন সদস্যই যোৱা ১১ ফেব্ৰুৱাৰী তাৰিখে বিধানসভাৰ এখন অতি তাৎপৰ্য্যপূৰ্ণ বিল উত্থাপন কৰিবলৈ চেষ্টা কৰিছিল। বিলখনৰ উদ্দেশ্য আছিল— বিধানসভাৰ সদস্যসকলে যাতে নিজ নিজ উপাৰ্জ্জনৰ উৎস আৰু সম্পত্তিৰ পৰিমাণ ৰাজহুৱাভাৱে ঘোষণা কৰিবলৈ বাধ্য হয় তাৰ কাৰণে আইনৰ ব্যৱস্থা কৰা। পাঠকসকলৰ মনত থাকিব পাৰে যে ৫ ফেব্ৰুৱাৰীৰ সাপ্তাহিক নীলাচলত এই বিষয়ে এটা প্ৰবন্ধ প্ৰকাশিত হৈছিল। সেই প্ৰবন্ধত উল্লেখ কৰা হৈছিল যে জাপানৰ নতুন প্ৰধানমন্ত্ৰী টাকিঅ' মিকিয়ে শাসনভাৰ লৈয়ে স্বইচ্ছাই নিজৰ সমস্ত সা-সম্পত্তিৰ তালিকা আৰু ব্যৱসায়িক লেন-দেনৰ কথা ৰাজহুৱাভাৱে প্ৰকাশ কৰিছিল। ১৯৭২ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত এনে এখন আইন গ্ৰহণ কৰা হৈছে, যাৰ ফলত তাৰ কংগ্ৰেছৰ প্ৰত্যেকজন সদস্য-প্ৰাৰ্থীৰ লগতে ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতিয়েও নিজ নিজ সম্পত্তিৰ পৰিমাণ আৰু ৰাজহুৱা উপাৰ্জ্জনৰ উৎস ঘোষণা কৰাটো বাধ্যতামূলক কৰা হৈছে। বৃটিশ পাৰ্লিয়ামেণ্টতো এনে এখন আইন প্ৰণয়ন কৰাৰ দিহা কৰা হৈছে— যাৰ ফলত তাৰ পাৰ্লিয়ামেণ্টৰ সদস্যসকলে নিজ নিজ সম্পত্তিৰ পৰিমাণ, উপাৰ্জ্জনৰ উৎস আৰু ব্যৱসায়িক লেন-দেনৰ বিৱৰণ ঘোষণা কৰিবলৈ বাধ্য হ'ব। অসম বিধানসভাৰ সদস্য এজনে এই প্ৰবন্ধটোৰ পৰাই এই বিলখন উত্থাপন কৰিবলৈ যদি প্ৰেৰণা পাইছিল, তেন্তে তাত আচৰিত হ'বলগীয়া একো নাই।

কোৱা বাহুল্য মাথোন যে সদস্যজনে বিলখন উত্থাপন কৰিবলৈ প্ৰয়োজনীয় অনুমতি বা চৰকাৰৰ সমৰ্থন নেপালে। তাত আচৰিত হ'বলগীয়া কথা একো নাই। বৰং অনুমতি পোৱা হ'লেহে সি নিশ্চয় এটা নাভূত-নাশ্ৰুত আচৰিত হ'বলগীয়া কথা হ'লহেঁতেন। চৰকাৰৰ বহুতো কু-বুদ্ধি থাকিব পাৰে, কিন্তু হাতৰ কুঠাৰ ভৰিত মৰাৰ নিচিনা কু-বুদ্ধি নিশ্চয় নায়। এজন ভূতপূৰ্ব কংগ্ৰেছ সভাপতি দামোদৰ সঞ্জীৱায়াই এবাৰ কৈছিল যে একোজন দাল-দৰিদ্ৰ ভিক্ষাৰীয়েও কংগ্ৰেছী ৰাজত্বত মাত্ৰ কেইবছৰমান মন্ত্ৰী বা এম. পি, এম. এল. এ. হৈ থাকিয়েই ধন-কুবেৰ হোৱাৰ অলেখ উদাহৰণ আছে। এম. এল. এ. বা এম. পি. সকলে যদি তেওঁলোকৰ উপাৰ্জ্জনৰ উৎস ঘোষণা কৰিবলৈ বা তাক ৰাজহুৱাভাৱে পৰীক্ষা কৰাবলৈ ৰাজী হয়, তেন্তে এনে ভাৱে ধন-কুবেৰ হোৱাৰ সুযোগ তেওঁলোকৰ থাকিবনে?

চৰকাৰৰ পক্ষৰ পৰা আইন মন্ত্ৰীয়ে এই বিলখনৰ বিৰোধিতা কৰাত আমি আচৰিত হোৱা নাই। কিন্তু আচৰিত হৈছো বা সঁচা কথা ক'বলৈ গ'লে অতিশয় কৌতূহল অনুভৱ কৰিছো, তেওঁ আগবঢ়োৱা যুক্তিতহে। আইন মন্ত্ৰীৰ মতে, বিধানসভা বা সংসদলৈ নিৰ্বাচিত হোৱাৰ পিচত সদনৰ সদস্য হিচাবে শপত গ্ৰহণ কৰোঁতে সেই সময়ত ভগৱানৰ নামত শপত খাই সদস্যসকলে নিজক সকলো সন্দেহৰ ওপৰত বুলি ঘোষণা কৰিব লাগে। গতিকে এনে ধৰণৰ বিল অনাৰ কোনো প্ৰয়োজন নাই, অৰ্থাৎ ভগৱানৰ নামত প্ৰতিজ্ঞাবদ্ধ হোৱাৰ পিছত ৰাইজৰ প্ৰতিনিধিসকল পাপ বা দুৰ্নীতিত লিপ্ত হোৱাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে।

ভাৰতীয় ভণ্ডামীৰ ইয়াতকৈ ডাঙৰ উদাহৰণ আন কিবা আছেনে? হিন্দু-শাস্ত্ৰই পাপ-ক্ষয়ৰ এটা অতি সহজ উপায় দি থৈছে। অজামিলৰ পুতেকৰ নাম আছিল নাৰায়ণ। ভগৱানৰ সহস্ৰ নামৰ ভিতৰত এটা নাম নাৰায়ণ। মৃত্যু-যন্ত্ৰণাত কাতৰ হৈ অজামিলে 'নাৰায়ণ, নাৰায়ণ' বুলি পুতেকক মতাৰ লগে লগেই ভগৱানৰো নাম স্মৰণ কৰা হৈ গ'ল আৰু ফলত জীৱনৰ সমস্ত পাপ ক্ষয় হৈ তেওঁ বৈকুণ্ঠত প্ৰৱেশ কৰাৰ অনুমতি-পত্ৰ লাভ কৰিলে। ভাৰতীয় সংবিধানেও (অন্ততঃ অসমৰ আইন মন্ত্ৰীয়ে ব্যাখ্যা কৰাৰ দৰে) বিধান সভা বা সংসদৰ সদস্যসকলক পাপ-মুক্ত কৰি ৰখাৰ এনে এটা সহজ উপায় উলিয়াইছে যে তেওঁলোকে যিহেতু ভগৱানৰ নামত শপত খাই নিজকে সকলো সন্দেহৰ ওপৰত বুলি ঘোষণা কৰে, গতিকে কোনো সন্দেহে তেওঁ লোকক স্পৰ্শ কৰিব নোৱাৰে। ৰামকৃষ্ণ পৰম হংসই শিষ্যসকলক উপদেশ দি কৈছিল— "মুখেৰে যদি আইনা চোবাব খুজিছা, তেন্তে প্ৰথমে আদা চোবাই লোৱা।" অসমৰ আইন-মন্ত্ৰীয়েও বোধহয় বিধান সভাৰ সদস্যসকলক ক'ব খোজে— "পাপ বা দুৰ্নীতি যদি কৰিবই খুজিছা, তেন্তে প্ৰথমে ভগৱানৰ নামত শপত খাই নিজকে সমস্ত সন্দেহৰ উৰ্দ্ধত বুলি ঘোষণা কৰি লোৱা। তাৰ পাছত সাত খুন মাফ, যি খুচি তাকে কৰিব পাৰা।" আইন-মন্ত্ৰীৰ এই Naivete কি ভাবে ব্যাখ্যা কৰা যায়— সি আমাৰ কাৰণে এটা ডাঙৰ সমস্যা হৈ দেখা দিছে। তেওঁ কি কেতিয়াও শান্তনম কমিটিৰ প্ৰতিবেদন, এ জি নুৰাণিৰ 'মিনিষ্টাৰ্ছ মিচকণ্ডাক্ট', সুৰেন্দ্ৰ নাথ দ্বিবেদীৰ 'পলিটিকেল কৰাপশ্যন ইন ইণ্ডিয়া', টায়া জিন্‌কিনচ্, গুনাৰ মীৰডাল, ৰোনাল্ড চেগল আদি বিদেশী লিখকসকলৰ ভাৰত সম্পৰ্কীয় বিখ্যাত গ্ৰন্থবোৰৰ নাম শুনা নাই? অসম বিধান সভাত উক্ত বিলখনৰ বিৰোধিতা কৰাৰ আগতে তেওঁ যদি এবাৰো এই কিতাপবোৰৰ পাত লুটিয়াই চালেহেঁতেন, তেতিয়া হ'লে তেওঁ জানিলেহেঁতেন যে ঈশ্বৰৰ নামত শপত খাই নিজকে সকলো সন্দেহৰ উৰ্দ্ধত বুলি গোষণা কৰিয়েই মন্ত্ৰী বা এম. এল. এ. সকলে প্ৰলোভন জয় কৰিব নোৱাৰে বা পাপৰ বিৰুদ্ধে ৰক্ষাকবচো লাভ কৰিব নোৱাৰে। দাস কমিচনৰ প্ৰতিবেদনৰ ফলত যি প্ৰতাপ সিং কাইৰোঁৰ চাকৰি গৈছিল, তেওঁ কি সদনত ভগবানৰ নামত শপত খোৱা নাছিল? মাত্ৰ সৌ সিদিনা পশ্চিম বংগত ওৱাঞ্চো কমিচনৰ প্ৰতিবেদনৰ ফলত যি দুজন মন্ত্ৰীৰ চাকৰি গৈছে, তেওঁলোকে কি ভগৱানৰ নামত শপত খাই মন্ত্ৰী বা এম. এল. এ. হোৱা নাছিল? টায়া জিন্ কিন্‌চে লিখি থৈ যোৱা নাইনে যে মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৰবিসংকৰ শুক্লাই অধঃস্তন কেইবা পুৰুষৰ কাৰণে তিনি-চাৰি কোটি টকা এৰি থৈ গৈছিল? তেওঁ কি ভগৱানৰ নামত শপত খাই মুখ্যমন্ত্ৰী হোৱা নাছিল? বিহাৰ আৰু উৰিষ্যাৰ মন্ত্ৰীসকলৰ বিৰুদ্ধে উচ্চ-ক্ষমতা-সম্পন্ন তদন্ত কমিচনবোৰৰ ৰায় কি— সেইবোৰ কথা কি অসমৰ আইন মন্ত্ৰীয়ে কেতিয়াও শুনা নাই? এনে তালিকা বঢ়াই গৈ থাকিলে এখন মহাভাৰত হ'ব। সংক্ষেপে ইমানকে ক'লেই যথেষ্ট হ'ব যে টীকা ল'লেই বসন্ত ৰোগ হ'ব নোৱাৰাৰ দৰে সদনত ভগৱানৰ নামত শপত খাই পাপ কাম নকৰো বুলি ঘোষণা কৰিলেই যদি এম. এল. এ. বা মন্ত্ৰীসকলে পাপ কামৰ পৰা নিবৃত্ত থাকিব বুলি অসমৰ আইন মন্ত্ৰীয়ে ভাবিছে, তেন্তে হয় তেওঁ নিজে মূৰ্খৰ স্বৰ্গত বাস কৰিছে অথবা জনসাধাৰণৰ বুদ্ধি-বৃত্তিক তেওঁ অপমান কৰিছে।

আটাইতকৈ হাঁহি উঠা কথা এয়েই যে অসমৰ আইন মন্ত্ৰীয়ে ইউৰোপ-আমেৰিকাৰ ৰাজনীতিক সকলতকৈ ভাৰতীয় তথা অসমীয়া ৰাজনীতিক সকলক এবিধ উচ্চ স্তৰৰ জীৱ বুলি ভাবিছে। পৃথিবীৰ সকলো দেশৰ গণ-প্ৰতিনিধিসকলেই ভগৱান বা সংবিধান বা বিবেকৰ নামত শপত খাইহে নিজৰ দায়িত্ব

গ্ৰহণ কৰে। কিন্তু সেই বুলি ইউৰোপ আমেৰিকাৰ গণ-প্ৰতিনিধিসকলে কেতিয়াও এনে উদ্ভট দাবী কৰা নাই, যে তেওঁলোকে যিহেতু ভগৱানৰ নামত প্ৰতিজ্ঞাবদ্ধ হৈ নিজকে সমস্ত সন্দেহৰ উৰ্ধ্বত বুলি ঘোষণা কৰিছে, গতিকে তেওঁলোকক সন্দেহ কৰিবলৈ কাৰো একো অধিকাৰ নাই, বা ৰাজহুৱা পৰীক্ষাৰ কাৰণে নিজৰ সম্পত্তিৰ হিচাপ দাখিল কৰিবলৈ তেওঁলোকৰ কোনো প্ৰয়োজন নাই। যি 'আধ্যাত্মিকতাবাদী' ভাৰতৰ বেপাৰীয়ে মানুহৰ খাদ্যত বিষ মিহলি কৰিবলৈ কুণ্ঠাবোধ নকৰে, গাখীৰত পানী মিহলি নকৰাকে বিক্ৰী কৰাটো পাপ বুলি ভাবে, যিখন দেশৰ ৰাজনীতিকে ৰাজহুৱা স্বমত বা পদ-মৰ্য্যাদাক ব্যক্তিগত স্বাৰ্থ-সিদ্ধি আৰু স্বজন-তোষণৰ উপায়ৰ বাহিৰে আন একো বুলি নাভাবে, যিখন দেশৰ কোটি কোটি অজ্ঞ, নিৰক্ষৰ, কু-সংস্কাৰাচ্ছন্ন জনতাক নাকত ধৰি চাকত ঘূৰোৱাটো পৃথিৱীৰ ভিতৰত আটাইতকৈ সহজ কাম, বহু শতাব্দীৰ দাৰিদ্ৰ্য আৰু শোষণৰ ফলত যিখন দেশৰ প্ৰাণ-শক্তি প্ৰায় নোহোৱা হৈ গৈছে, যিখন দেশৰ মানুহে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদত বাঘৰ দৰে গৰ্জি নুঠে, কেৱল বেমাৰী মেকুৰী পোৱালীৰ দৰে মিউ মিউ কৰে— কেৱল তেনে এখন দেশৰ মন্ত্ৰীয়েহে দাবী কৰিব পাৰে যে তেওঁলোকে নিজে নিজকে সন্দেহৰ উৰ্ধ্বত বুলি ঘোষণা কৰিলে আন কাৰো সেই বিষয়ে প্ৰশ্ন কৰিবলৈ একো অধিকাৰ নাই। কাৰণ তেওঁলোকৰ চৰিত্ৰ, আদৰ্শবাদিতা আৰু আধ্যাত্মিকতাৰ পৃথিৱীত কোনো তুলনা নাই। ভাৰতত কোনো ৰাজনৈতিক দুৰ্নীতি নাই, কাৰণ ভাৰতৰ এম. পি.- এম. এল. এ.-মন্ত্ৰীয়ে ভগৱানৰ নামত শপত খাই ঘোষণা কৰি থৈছে যে তেওঁলোকে কেতিয়াও দুৰ্নীতিত লিপ্ত নহয়। জয়তু ভাৰত।

বৰপেটাত কংগ্ৰেছৰ পৰাজয়?

Another such victory and we are undone.

–Pyrrhus

নিজৰ সতীত্বৰ বিনিময়ত চাকৰি যোগাৰ কৰা তিৰোতাৰ নিচিনাকৈ কংগ্ৰেছে নিজৰ আত্মাক বিক্ৰী কৰি বৰপেটা নিৰ্বাচনত বিজয় গৌৰব অৰ্জন কৰিছে। এই নিৰ্বাচন যুদ্ধত কংগ্ৰেছ প্ৰাৰ্থী জয়ী হৈছে, কিন্তু ৰক্তাক্ত আৰু পদদলিত হৈছে গণতন্ত্ৰৰ আদৰ্শ। বেশ্যাৰ ঐশ্বৰ্য্যৰ নিচিনাকৈ কংগ্ৰেছৰ এই বিজয় গৌৰবো সকলো সৎ আৰু বিবেকবান মানুহৰ দৃষ্টিত এক দূৰপনেয় কলঙ্কৰ প্ৰতীক মাত্ৰ।

কংগ্ৰেছী মুছলমান নেতাসকলৰ কাৰণে বৰপেটা এইবাৰ তীৰ্থক্ষেত্ৰ হৈ পৰিছিল। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আজিজ ইমামৰ পৰা আৰম্ভ কৰি অসমৰ মইনুল হক চৌধুৰী, মহম্মদ ইদ্ৰিছ, মহম্মদ ওমৰুদ্দিন, চৈয়দ আহমদ আলী আদি সৰু বৰ সকলো নেতাই বৰপেটাত বাহৰ কৰি বহিছিল; দুৰ্গম চৰ অঞ্চলত তেওঁলোকে অক্লান্তভাৱে পদব্ৰজে ভ্ৰমণ কৰি ফুৰিছিল। কিয়? তেওঁলোকৰ অন্তৰত কি হঠাৎ বৰপেটাৰ অৰ্দ্ধনগ্ন-অৰ্দ্ধভুক্ত মুছলমান ভাইসকলৰ প্ৰতি মমতা উথলি উঠিছিল? দুৰ্গম চৰ অঞ্চলত পশুৰ দৰে জীৱন যাপন কৰা আৰু অনাহাৰত মৃত্যুবৰণ কৰা সেই মানুহবোৰক ভাই বুলি বুকুত আঁকোৱালি ল'বলৈ তেওঁলোকে কি হঠাৎ ব্যাকুল হৈ পৰিছিল? নহয়, বৰপেটালৈ তেওঁলোকে দলে দলে দৌৰি গৈছিল জাকৈয়া ছোৱালীয়ে জাকৈৰে মাছ ধৰাৰ দৰে বেলত বাকচেৰে মুছলমানৰ ভোট ধৰাৰ আশাত। "শগুণ যিমান ওপৰলৈকে নুৰক কিয় তাৰ চকু থাকে সদায় তলৰ মৰা-শৰ ওপৰত।" কংগ্ৰেছেও আদৰ্শৰ আকাশত যিমান ওপৰলৈকে নুৰক কিয় প্ৰয়োজনৰ সময়ত তেওঁলোকৰ চকু থাকে সদায় সমাজৰ সেই শ্ৰেণীৰ মানুহবোৰৰ ওপৰত— যিবোৰ মানুহক কংগ্ৰেছে নিজেই অজ্ঞতা, নিৰক্ষৰতা আৰু দৰিদ্ৰতাৰ নিৰ্মম মৰুভূমিত চিৰকাল জীৱন্ত মৰাশৰ নিচিনা কৰি ৰাখিছে, যিবোৰ মানুহক তেওঁলোকে কেতিয়াও ৰাজহাড় পোন কৰি থিয় হ'বলৈ নিদিয়ে, যিবোৰ মানুহৰ চিৰ-অন্ধকাৰ জীৱনত তেওঁলোকে কেতিয়াও স্বাস্থ্য, শিক্ষা আৰু আৰ্থিক স্বচ্ছলতাৰ পোহৰ পৰিবলৈ নিদিয়ে। বৰপেটা নিৰ্বাচন, বা আন যিকোনো নিৰ্বাচন কোনোবাই যদি বৈজ্ঞানিক পদ্ধতিৰে বিশ্লেষণ কৰি চায়, তেতিয়া তেওঁ দেখিব যে সমাজৰ যিবোৰ মানুহ আটাইতকৈ বেছি দৰিদ্ৰ, নিষ্পেষিত আৰু নিৰক্ষৰ— ঘাইকৈ সেইবোৰ মানুহেই নিৰ্বাচনত কংগ্ৰেছক সমৰ্থন কৰে। শিক্ষাৰ পোহৰ পোৱা বেছিভাগ মানুহে প্ৰয়োজনৰ সময়ত কংগ্ৰেছৰ কু-শাসনৰ বিৰুদ্ধে প্ৰতিবাদ কৰে। ইয়াৰ আন এটা অৰ্থ এয়েই হয় যে কংগ্ৰেছ ক্ষমতাত থাকিবলৈ হ'লে সমাজৰ এক শ্ৰেণীৰ বৃহৎ সংখ্যক মানুহক চিৰকাল অজ্ঞতা আৰু নিৰক্ষৰতাৰ অন্ধকাৰত নিমজ্জিত কৰি ৰখাৰ প্ৰয়োজন আছে। যোৱা ২৭ বছৰে কংগ্ৰেছে ঠিক তাকেই কৰি আহিছে। চেঙা, জনিয়া, বাঘবৰৰ যিবোৰ মুছলমান খেতিয়কে দুৰ্গম চৰ-অঞ্চলত পশুৰ দৰে জীৱন যাপন কৰে, যিবোৰ মানুহে কেতিয়াও শিক্ষাৰ পোহৰ দেখা নাই, যিবোৰ মানুহে কেতিয়াও ৰাষ্ট্ৰৰ কৰ্ণধাৰ সকলৰ পৰা মানুহৰ দৰে ব্যৱহাৰ পোৱা নাই, আকাল-অনাটনৰ সময়ত যিবোৰ মানুহ দুৰ্ভিক্ষৰ দেশৰ কুকুৰৰ দৰে ৰাস্তাই-ঘাটে মৰি কাউৰী-শগুণৰ ভোজ হয়, সেইবোৰ মানুহেই এইবাৰো

কংগ্রেছৰ বেলট বাকচ ভোটেৰে ওপচাই দিলে। কিমাশ্চৰ্য্যম অতঃপৰম? ইয়াৰ পিছতো কমগ্রেছে বাহাদুৰী কৰি নক'বনে যে সমাজৰ সকলো দৰিদ্র, অনগ্রসৰ আৰু সংখ্যা-লঘু শ্রেণীৰ মানুহেই তেওঁলোকৰ পিছত আছে? অৱশ্যে সত্যৰ সন্মুখীন হ'বলৈ যদি কংগ্রেছৰ সাহ আছে, তেন্তে তেওঁলোকে বৰং কোৱা উচিত যে এই লাখ লাখ কোটি কাটি মানুহক চিৰকাল দৰিদ্র আৰু নিৰক্ষৰ কৰি ৰখাৰ কাৰণেইহে তেওঁলোক কংগ্রেছৰ পিছত আছে। এই মানুহবোৰক দাৰিদ্র্য আৰু নিৰক্ষৰতাৰ পিতনিত পুতি ৰখাটোৱেই এতিয়া হৈ পৰিছে কংগ্রেছৰ প্রধান ন্যস্ত-স্বাৰ্থ।

বৰপেটাৰ নিৰ্বাচনত কংগ্রেছৰ জয় হোৱা নাই; জয় হৈছে ক'লা টকাৰ; জয় হৈছে নীচতম সাম্প্রদায়িক ভেদ-বুদ্ধিৰ; জয় হৈছে সকলো প্রকাৰৰ নীচ ষড়যন্ত্রৰ। কংগ্রেছৰ এই জয়ে সাম্প্রদায়িকতাক নতুন আয়ুস দিছে, নিৰক্ষৰতাক ৰাজনৈতিক ব্যৱসায়ৰ মূলধনত পৰিণত কৰিছে, গণতন্ত্রক পৰিণত কৰিছে এটা বিৰাট প্রহসনত। কংগ্রেছৰ এই জয় আচলতে কংগ্রেছীসকলৰ বিবেকৰ এটা পৰীক্ষা। তেওঁলোকৰ এজন মানুহেও যদি এই সন্দেহজনক জয়ৰ প্রকৃত তাৎপৰ্য্য অনুধাৱন কৰি অন্ততঃ ৰাতি বিছনাত শুই শুই বিবেকৰ তীব্র দংশন অনুভৱ নকৰে, তেন্তে বুজিব লাগিব যে এদিন এই দলৰ হাততেই ভাৰতৰ গণতন্ত্রৰ জীৱন্ত সমাধি ঘটিব। যিসকল ক্ষুদ্র-বুদ্ধিৰ কংগ্রেছীয়ে এই জয়ৰ সু-স্বাদু ফল ভক্ষণ কৰি আনন্দত টকালি পাৰিছে, তেওঁলোক পুতৌৰ পাত্র, তেওঁলোকে নাজানে যে তেওঁলোকে আচলতে এটা মাৰাত্মক বিষ-ফল ভক্ষণ কৰিছে। স্পীনোজাই কৈছিল— "কিছুমান মানুহ শিশুৰ নিচিনা, তেওঁলোকে কেৱল মুহূৰ্তটোৰ কথাহে ভাবিব পাৰে। তাতকৈ সামান্য বেছি পৰিণত বুদ্ধিৰ মানুহে কেৱল দিনটোৰ কথা ভাবিব পাৰে। সৰ্ব-সাধাৰণ মানুহে বছৰটোৰ কথা ভাবিব পাৰে। কেৱল ইতিহাস-চেতনা থকা পৰিণত-বুদ্ধিৰ মানুহেহে এটা যুগৰ কথা ভাবিব পাৰে।" দুৰ্ভাগ্যৰ কথা যে আজি কংগ্রেছৰ মাজত এটা যুগৰ কথা চিন্তা কৰি দূৰ-দৰ্শী কৰ্ম-সূচীৰে কাম কৰিব পৰা মানুহ এজনো নাই, সকলোৱেই ক্ষণ-স্থায়ী ফল লাভ আৰু খিতাতে পোৱা ক্ষমতাৰ নিচাত আত্মহাৰা। সেই কাৰণেই তেওঁলোকে নিৰ্বাচনী বিজয়ৰ উল্লাসত ওভতগোৰে নাচিব ধৰিছে, কিন্তু এক মুহূৰ্তৰ কাৰণেও তেওঁলোকে ভাবি চোৱা নাই যে সকলো ন্যায়-নীতি বিসৰ্জন দি যেন-তেন-প্রকাৰেণ জয়লাভ কৰিবলৈ চেষ্টা কৰি তেওঁলোকে সমাজ-দেহত পাপাৰ্জিত ধন, সাম্প্রদায়িক ভেদ-বুদ্ধি আৰু ৰাজনৈতিক ষড়যন্ত্রৰ বিষ-ক্রিয়া সঞ্চাৰিত কৰি দিছে, আৰু তাৰ দ্বাৰাই দেশৰ অমঙ্গল সূচনা কৰিছে।

নিখিল ভাৰত কংগ্রেছ কমিটিৰ সাধাৰণ সম্পাদক আজিজ ইমামে চৰ-অঞ্চলৰ এখন দুৰ্গম মুছলমান গাঁৱত কংগ্রেছৰ হৈ ভোট খুজিবলৈ গৈছিল। নেদেখা বস্তু দেখাৰ দৰে তেওঁক চাবলৈ গাঁৱৰ পৰা দলে দলে মানুহ ওলাই আহি জুম বান্ধিলেহি। আজিজ ইমামে হতভম্ব হৈ দেখিলে— তেওঁৰ চকুৰ আগত থিয় হৈ আছে মানুহ ৰূপী কেতবোৰ নৰ-কংকাল। সিহঁতৰ অস্থি-সাৰ দেহত নিৰ্মম ক্ষুধাৰ হিংস্র আঁচোৰ, সিহঁতৰ কোটৰ-গত চকুত ভাৱলেশহীন অপাৰ শূন্যতা। খন্তেকৰ কাৰণে বিচলিত হৈ তেওঁ লগত যোৱা অসমীয়া কংগ্রেছী নেতা এজনক সুধিলে, "আপোনাসকলে মানুহৰ এই অৱস্থা কৰি ৰাখিছে? শৰৎ সিংহেই কি এই মানুহবোৰক কেতিয়াও চাবলৈ অহা নাই? কোন সাহসত আজি আপুনি এইবোৰ মানুহক কংগ্রেছক ভোট দিবলৈ ক'ব?"— হায় আজিজ ইমাম, আপুনি নাজানে যে শৰৎ সিংহেই সোঁ-পন্থী প্রতিক্রিয়াশীল শক্তি আৰু ন্যস্ত-স্বাৰ্থৰ বিৰুদ্ধে বাক-যুদ্ধ কৰিয়েই তৰণি নাপায়, সেই পশুৰূপী মানুহবোৰক চাবলৈ ৰাবলৈ তেওঁৰ সময় ক'ত? অৱশ্যে পাঁচ বছৰৰ মূৰত এবাৰ সময় হয়, তেতিয়া তেওঁ নিজে বাব নোৱাৰিলেও

পঠিয়ায় আজিজ ইমামক, মইনুল হক চৌধুৰীক, মহম্মদ ওমৰুদ্দিনক। সেই লোকসকলে এনে এটা গোপন যাদুমন্ত্র জানে যে সেই মন্ত্র উচ্চাৰণ কৰাৰ লগে লগেই সেই কঙ্কালসাৰ জীৱন্ত মৰাশবোৰে পেটৰ ভোক পাহৰি মনুষ্যত্বৰ অপমান পাহৰি কংগ্ৰেছৰ ডিঙিতেই জয়মাল্য পিন্ধায় পুনৰ ঘূৰি যায় নিজৰ নৰকৰ অন্ধকাৰলৈ; তাত ভোকৰ জুই চেঙালুটি পাৰি সিহঁতে পুনৰ অপেক্ষা কৰে পাঁচ বছৰৰ মূৰত প্ৰিয়নেতাৰ শ্ৰীমুখ দৰ্শন কৰিবলৈ। এই হ'ল ভাৰতৰ সাম্প্ৰতিক ইতিহাস।

যিহওক— ঘাইকৈ চেঙা, জনীয়া, বাঘবৰৰ দৰিদ্ৰ মুছলমানেই ভোট দি এইবাৰ কংগ্ৰেছক জিকালে। কিন্তু তাৰ বিনিময়ত তেওঁলোকে কি পাব? পাব ঠিক সেইটোকে— যিটো ইমানদিনে পাই আহিছে জনিয়াৰ ৰাইজে, সাতবছৰ কাল ফকৰুদ্দিন আলি আহমদক অসমত মন্ত্ৰী কৰি ৰাখি আৰু তাৰ পিছৰ এঘাৰ বছৰ কাল কেন্দ্ৰত মন্ত্ৰী কৰি ৰাখি। আজিজ ইমামে নিজ চকুৰে দেখি গৈছে যে ফকৰুদ্দিন আলি আহমদৰ নিচিনা মানুহে প্ৰতিনিধিত্ব কৰা এটা অঞ্চলো আজিকোপতি আধুনিক জীৱনৰ নিম্নতম সুবিধাখিনিৰ পৰাও বঞ্চিত হৈ শতাব্দী-প্ৰাচীন অজ্ঞতা আৰু অনগ্ৰসৰতাৰ পিতনিত লেটি লৈ পৰি আছে। বাঘবৰৰ এখন গাঁৱত দুজনমান ডেকাই আৰ্তস্বৰেৰে মইনুল হক চৌধুৰীক সুধিছিল— “ধৰ্মৰ দোহাই দি আপোনালোকে আৰু কিমান দিন আমাক শোষণ কৰিব? কেৱল আপোনালোকক মন্ত্ৰী এম. এল. এ., এম. পি. কৰি ৰাখিবৰ কাৰণেই নিজকে সকলো ফালে বঞ্চিত কৰি আৰু কিমান দিন আপোনালোকক ভোট দি থাকিম?”

আৰু কিমান দিন? যিমান দিনলৈকে কংগ্ৰেছে নিজৰ ক্ষমতা-ৰক্ষাৰ স্বাৰ্থত এই কোটি কোটি মানুহক অজ্ঞ আৰু নিৰক্ষৰ কৰি ৰাখিব, যিমানদিনলৈকে কংগ্ৰেছে মুখেৰে সমাজ-বাদৰ নাম লৈ কামত শোষক-ধনী শ্ৰেণীৰ পৰা সংগ্ৰহ কৰা ক'লা টকাৰে মানুহৰ মূৰ কিনা-বেচা কৰাৰ ব্যৱসায় কৰি থাকিব, যিমান দিনলৈকে কংগ্ৰেছে দেশত জাত-বিচাৰ আৰু ধৰ্মান্ধতা জীয়াই ৰাখিব— সিমান দিনলৈকে জালৰ হৰিণ এই মানুহবোৰৰ কোনো মুক্তি নাই। বাৰে বাৰে কংগ্ৰেছ নিৰ্বাচনত জিকিব, বাৰে বাৰে নষ্ট হ'ব কংগ্ৰেছৰ সতীত্ব।

সাপ্তাহিক নীলাচল, ৩২৭ সংখ্যা : ৭ মে', ১৯৭৫ চন

চাউলৰ কাহিনী

প্ৰায় আঢ়ৈ লাখ মানুহে বাস কৰা বৃহত্তৰ গুৱাহাটী মহানগৰীত যোৱা এমাহ ধৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি চাউল যোগন ধৰা হোৱা নাই। এই সকল লোকৰ শতকৰা ৭০ ভাগেই যৎ সামান্য উপাৰ্জনেৰে পেটে ভাতে খাই থকা মানুহ; তাৰ ভিতৰতো বৃহৎ সংখ্যক লোক সমাজৰ দৰিদ্ৰতম শ্ৰেণীৰ। মুকলি অনিয়ন্ত্ৰিত বজাৰত কিলোই প্ৰতি চাৰি টকা দাম দি চাউল কিনি খাবলৈ এওঁলোকৰ অকণো সঙ্গতি নাই। সামান্য বিবেক মানবিক অনুভূতি থকা মানুহেই এই কথা স্বীকাৰ নকৰি নোৱাৰে যে চৰকাৰী অকৰ্মণ্যতা আৰু দয়াহীনতাৰ অসহায় স্বীকাৰ এই লাখ লাখ মানুহে দিনৰ পিচত দিন ধৰি অৰ্দ্ধাহাৰ-অনাহাৰে দিন কটাবলগীয়া হৈছে।

কেৱল গুৱাহাটীতে নহয়, সমগ্ৰ ৰাজ্য জুৰি আজি ভোকাতুৰ মানুহৰ হাহাকাৰ শুনা গৈছে। গাঁৱৰ পৰা চহৰলৈ অবিৰামভাৱে ভিক্ষাৰীৰ সোঁত বব ধৰিছে। সমাজবাদৰ কলত চেপি-খুন্দি লাখ লাখ মানুহক জীৱন্ত নৰ-কংকালত পৰিণত কৰা হৈছে। কিন্তু পৰম বিস্ময়কৰ কথা এইটোৱে যে এনে এটা অৱস্থাতো কোনো ফালৰ পৰা কোনো আপত্তি বা প্ৰতিবাদ উঠা নাই; ইয়াতকৈ স্বাভাৱিক কথা যেন আন একোৱেই নাই। সকলোৱে যেন এই অৱস্থাটো মানি লৈছে। কিন্তু চৰকাৰক এনে ভাৱে নেমাতি ৰণ জিকিবলৈ কেতিয়াও দিব নোৱাৰি। ধান-চাউলৰ পাইকাৰী ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ নিবৰ সময়ত এনেকুৱা কোনো চৰ্ত নাছিল যে ইচ্ছা কৰিলেই চৰকাৰে সপ্তাহৰ পিচত সপ্তাহ সুলভ মূল্যৰ দোকানৰ যোগেদি চাউলৰ যোগান দিয়া বন্ধ কৰি লাখ লাখ মানুহক ভোকৰ জ্বলা জুইত পেলাই ৰং চাব পাৰিব। এনে কোনো চৰ্ত নাছিল যে এখন ৰাজ্যৰ সমগ্ৰ জনসাধাৰণক অভূতপূৰ্ব কৃত্ৰিম মূল্য-বৃদ্ধিৰ গ্ৰাসত পেলাই চৰকাৰে তাৰ নৈতিক দায়িত্বৰ পৰা আঁতৰি থাকিব পাৰিব। বৰং ধান-সংগ্ৰহৰ একচেটীয়া অধিকাৰ নিজৰ হাতলৈ নি আৰু ধানৰ মূল্য নিৰ্দিষ্ট হাৰত বান্ধি দি চৰকাৰে ৰাজ্যখনৰ মানুহক খুওৱাৰ নৈতিক দায়িত্ব নিজৰ হাতলৈ নিছিল। লাখ লাখ মানুহৰ জীৱন-মৰণক লৈ খেলা কৰা এই চৰকাৰে যদি আজি সেই দায়িত্বৰ পৰা মূৰ-পোলোকা মাৰি পলাব খোজে, তেন্তে ৰাইজে তেওঁলোকক ক্ষমা কৰাটো উচিত হ'বনে?

ৰাজ্যখনত যোৱা কেইবছৰমানত কি পৰিমাণৰ খাদ্য উৎপাদন হৈছে বা হৈছে বুলি চৰকাৰীভাৱে কোৱা হৈছে— তালৈ চাই অসমত এনে অৱস্থা কেতিয়াও হ'ব নালাগিছিল। এই বিষয়ে বিন্দুমাত্ৰ সন্দেহ নাই যে অসমৰ সাম্প্ৰতিক দুৰ্ভিক্ষ সদৃশ পৰিস্থিতি আৰু খাদ্য-দ্ৰব্যৰ অগ্নি-মূল্যৰ কাৰণে চৰকাৰী খাদ্য-নীতিয়েই সম্পূৰ্ণভাৱে দায়ী। এই খাদ্য-নীতিৰ প্ৰধান নিৰ্মাতা হ'ল শৰৎ সিংহ, আৰু গতিকে এই নীতিৰ শোচনীয় ব্যৰ্থতাৰ সৰহভাগ দায়িত্বও তেওঁ অকলেই বহন কৰিব লাগিব। কিন্তু সেইবুলি তেওঁৰ দলৰ আনসকল সদস্যকো দায়-মুক্ত কৰি ৰাখিব নোৱাৰি। এজন বাস্তৱ-বুদ্ধি-হীন বাগ-বিলাসী নেতাৰ প্ৰতিটো কথাকে বিনা-বাক্যব্যয়ে মূৰ দুপিয়াই সমৰ্থন কৰিবলৈকে ৰাইজে এইসকল লোকক প্ৰতিনিধি হিচাবে পঠোৱা নাছিল। যি সময়ত অসমৰ লাখ লাখ মানুহে চৰকাৰী নিৰ্বুদ্ধিতা আৰু হৃদয়হীনতাৰ

ফলত ভোকৰ জুইত চেপ্তা-লুটি পাৰি মৰিছে, সেই সময়ত ৰাইজৰ প্ৰতিনিধিসকলৰ এই নীৰৱতা আৰু উদাসীনতা কেৱল বিস্ময়কৰেই নহয়, অক্ষমনীয়ও। এদিন নহয় এদিন তেওঁলোকে তাৰ কাৰণে ৰাইজৰ ওচৰত জবাব-দিহি কৰিবই লাগিব।

আজি দেখা গৈছে যে অসমক এখন ভিক্ষাৰী-ক্ষুধাতুৰৰ ৰাজ্যত পৰিণত কৰাটোৱেই হ'ল শৰৎ সিংহৰ তিনিবছৰীয়া সমাজবাদী ৰাজত্বৰ একমাত্ৰ ফলশ্ৰুতি। তেওঁৰ খাদ্য-নীতি সম্পূৰ্ণ ব্যৰ্থ হৈছে, তেওঁৰ ধান-সংগ্ৰহ-নীতিয়ে সমগ্ৰ ৰাজ্যখনক চোৰাংবেপাৰী আৰু লাভখোৰৰ স্বৰ্গ-ৰাজ্যত পৰিণত কৰিছে, তেওৰ মুখ্যমন্ত্ৰিত্বৰ দিনতে অসমত আটাইতকৈ বেছি সংখ্যক মানুহে অনাহাৰত মৃত্যু বৰণ কৰিছে। কিন্তু ইমানতো তেওৰ এই ভয়াবহ খাদ্য-নীতি নতুনকৈ বিবেচনা কৰি চোৱাৰ বা ৰাইজক এবাৰ সহানুভূতিৰ মাত দিয়াৰ প্ৰয়োজন অনুভৱ কৰা নাই। এনে চৰম দায়িত্বহীনতাৰ পৰিচয় দি তেওঁ মুখ্যমন্ত্ৰী হৈ থকাৰ সকলো নৈতিক অধিকাৰ হেৰুৱাই পেলাইছে। অহা দহ মে' তাৰিখে বিধান সভাৰ এদিনীয়া অধিৱেশনৰ কাৰণে বিধায়কসকল দিছপুৰত সম্মিলিত হ'ব। আমি আশা কৰো যে এই সুযোগতে কংগ্ৰেছ বিধায়িনী দলে চৰকাৰী খাদ্য-নীতি আৰু ৰাজ্যখনৰ খাদ্য-পৰিস্থিতিৰ পৰ্য্যালোচনা কৰি এই সৰ্বনাশী সংকটৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ এটা শেষ চেষ্টা কৰি চাব। শৰৎ সিংহৰ কাৰণে ৰাইজৰ অবৰ্ণনীয় দুখ-দুৰ্দশাতকৈ তেওঁৰ ব্যক্তিগত ইজ্জতৰ প্ৰশ্নটোৱেই যদি ডাঙৰ হৈ দেখা দিয়ে, তেন্তে প্ৰয়োজন হ'লে বিধায়কসকলে তেওঁক পদত্যাগ কৰিবলৈকো ক'ব লাগিব। তেওঁলোকে মনত ৰখা উচিত যে ৰাইজতকৈ নেতা ডাঙৰ নহয়।

সাপ্তাহিক নীলাচল, ৩২৮ সংখ্যা : ১৪ মে', ১৯৭৫ চন

গুৱাহাটী পৌৰ নিগম আৰু অসম চৰকাৰ

বিখ্যাত ফৰাচী বুদ্ধিজীৱী আৰু ৰাজনীতিজ্ঞ আঁদ্ৰে মালৰোৱে গণতন্ত্ৰৰ এটা অভিনৱ সংজ্ঞা দিছে। তেওঁৰ মতে গণতন্ত্ৰ হ'ল এনে একপ্ৰকাৰৰ শাসন ব্যৱস্থা য'ত দেশৰ বা জনতাৰ স্বাৰ্থতকৈ ৰাজনৈতিক দলবোৰৰ স্বাৰ্থইহে সদায় বেছি প্ৰাধান্য পায়। সমগ্ৰ ভাৰতত ঘটি থকা বহুতো ঘটনাই মালৰোৰ এই উক্তিৰ সত্যতা প্ৰমাণ কৰে। গুৱাহাটী পৌৰ নিগমৰ প্ৰতি অসম চৰকাৰৰ যুক্তিহীন জেদ আৰু আক্ৰোশৰ মনোভাৱে তাৰে এটা শেহতীয়া নিদৰ্শন দাঙি ধৰিছে।

গুৱাহাটী উত্তৰ-পূৱ ভাৰতৰ প্ৰথম আৰু একমাত্ৰ পৌৰ নিগম। এশ-পঞ্চাশ বৰ্গমাইল আয়তনৰ বৃহত্তম গুৱাহাটীৰ মুঠ জনসংখ্যা হ'ল ৫ লাখ। গুৱাহাটীৰ স্বাৰ্থ বা গুৱাহাটীৰ সমস্যা মানেই সমগ্ৰ অসমৰ স্বাৰ্থ আৰু সমস্যা, কাৰণ অৱধাৰিত কাৰণত ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ মানুহ বা তেওঁলোকৰ অঙহী-বঙহী ইয়াত বাস কৰে। সম্পূৰ্ণ আক্ষৰিক অৰ্থতেই গুৱাহাটী অসমৰ স্নায়ুকেন্দ্ৰ। গুৱাহাটীত অনুভূত হোৱা সুখ-দুখ আৰু আনন্দ-বেদনা মুহূৰ্তৰ ভিতৰতে সমগ্ৰ ৰাজ্যখনৰ সমাজ দেহলৈ সঞ্চাৰিত হয়। যি চৰকাৰে এই সামান্য মনঃস্তাত্ত্বিক সমস্যাটো বুজি নাপায়, সেই চৰকাৰৰ মানসিক সুস্থতা বা বুদ্ধি-বৃত্তি সম্পৰ্কে স্বাভাৱিকতে মনত সন্দেহ জাগে। অসমৰ প্ৰথম পৌৰ নিগমৰ সৰ্ব প্ৰথম নিৰ্বাচনত কংগ্ৰেছ আৰু তেওঁলোকৰ মিত্ৰ দল কমিউনিষ্ট পাৰ্টিয়ে মুঠ চৌত্ৰিশখন আসনৰ ভিতৰত মাত্ৰ পোন্ধৰখন আসন লাভ কৰি সংখ্যালঘু দলত পৰিণত হ'ল। ফলত পৌৰ নিগমৰ পৰিচালনাৰ ভাৰ গ'ল সংখ্যাগৰিষ্ঠ প্ৰগতিশীল ফ্ৰণ্টৰ হাতলৈ। নিৰ্বাচন শেষ হৈ যোৱাৰ পিচত সংকীৰ্ণ দলীয় বিবেচনাইহে নিশ্চয় কাৰো মনত ঠাই পাব নালাগিছিল। বিশেষকৈ চৰকাৰৰ সৰ্ব প্ৰথম নৈতিক কৰ্তব্য আছিল মুক্ত নিৰ্বাচনৰ যোগেদি সংখ্যা গৰিষ্ঠতা লাভ কৰা প্ৰগতিশীল ফ্ৰণ্টৰ লগত সম্পূৰ্ণ সহযোগিতা কৰা, যাতে গুৱাহাটীত এখন আধুনিক মহানগৰীৰ সবল ভিত্তি নিৰ্মিত হয় আৰু ইয়াৰ অধিবাসীসকলে নিম্নতম নাগৰিক সা-সুবিধাখিনি ভোগ কৰিবলৈ পায়। কিন্তু আৰম্ভণিৰ পৰাই দেখা গ'ল যে চৰকাৰৰ মতলব সম্পূৰ্ণ বেলেগ। নিৰ্বাচনৰ পৰাজয়ৰ গ্লানিত তেওঁলোকে গুৱাহাটীৰ ৫ লাখ নাগৰিকৰ প্ৰতি চৰকাৰৰ নৈতিক দায়িত্বৰ কথা পাহৰি গ'ল। শিশুসুলভ গোঁৱাৰ্তুমিৰে তেওঁলোকে পৰাজয়ৰ অপমানৰ পোতক তুলিবলৈহে দৃঢ়-প্ৰতিজ্ঞ হোৱা যেন দেখা গ'ল। যোৱা ডেৰ বছৰৰ ভিতৰত ৰাইজে তাৰ অজস্ৰ প্ৰমাণ দেখিবলৈ পাইছে। যোৱা ৮ মে' তাৰিখে পৌৰ নিগমৰ মেয়ৰে এখন সাংবাদিক সন্মিলন আহ্বান কৰি এই সম্পৰ্কীয় কিছু প্ৰামাণ্য তথ্য-পাতি দাঙি ধৰিছে। এই তথ্য-পাতিবোৰৰ পৰা স্পষ্টভাৱে প্ৰতীয়মান হয় যে চৰকাৰে গুৱাহাটীৰ পাঁচ লাখ অধিবাসীৰ সুখ-সুবিধাৰ কথা অকণো চিন্তা নকৰি গুৱাহাটী পৌৰ নিগমক সংকীৰ্ণ দলীয় ৰাজনীতিৰ কাকলীত পৰিণত কৰিছে। ফলত কংগ্ৰেছ চৰকাৰ আৰু প্ৰগতিশীল ফ্ৰণ্টৰ পৰিচালনাধীন পৌৰ নিগম বাদী দুই ম'হৰ যুঁজত ৰাইজৰবলী বিবিধাৰ মৰণ মিলিবৰ উপক্ৰম হৈছে। পৌৰ নিগমৰ বিৰুদ্ধে চৰকাৰৰ অন্যায় ষড়যন্ত্ৰৰ দুটামান উদাহৰণ দিলেই যথেষ্ট হ'ব। চৰকাৰে নিজে তৈয়াৰ কৰা আইন মতেই পৌৰ নিগমে চৰকাৰৰ পৰা এক কোটিতকৈ

বেছি টকা পাব লাগে যদিও যোৱা ডেৰ বছৰৰ ভিতৰত চৰকাৰে পৌৰ-নিগমক মাত্ৰ বিশ হাজাৰ টকাহে দিছে। ফলত পৌৰ নিগমে নিজস্ব উৎসৰ পৰা সংগ্ৰহ কৰা সত্তৰ লাখ টকাৰে কাৰ্য্যালয়টো চলাই থকা আৰু নিম্নতম অপৰিহাৰ্য্য দুই এটা কাম কৰি থকাৰ বাহিৰে আন কোনো উন্নয়নমূলক আঁচনি হাতত লোৱাটো সম্ভৱ হৈ উঠা নাই। পৌৰ নিগমে চৰকাৰৰ পৰা আইন মতে পাব লগা ধনখিনিও বন্ধ কৰি ৰখাটো কেৱল বিৰোধী দলৰ দ্বাৰা পৰিচালিত পৌৰ নিগমৰ বিৰুদ্ধেই কুট চক্ৰান্ত নহয়, ই তাঁতোকৈ ডাঙৰ চক্ৰান্ত গুৱাহাটীৰ পাঁচ লাখ নাগৰিকৰ বিৰুদ্ধে। চৰকাৰে কেৱল যে নিজৰ পুঁজিৰ পৰাই পৌৰ নিগমৰ প্ৰাপ্য ধনখিনি দিয়া নাই এনে নহয়, অন্যান্য বৈধ পন্থাৰে ধন সংগ্ৰহ কৰাৰ কামতো ই পৌৰ নিগমক বাধা দিছে। পৌৰ নিগমে বিভিন্ন প্ৰকাৰৰ কৰ-কাটলৰ দ্বাৰা ধন সংগ্ৰহ কৰিব খুজিলে তাৰ কাৰণে উপ-বিধি তৈয়াৰ কৰিব লাগে আৰু চৰকাৰে সেই উপ-বিধিত অনুমোদন জনাব লাগে। গুৱাহাটী পৌৰ-নিগমে তেনে কেইবাখনো উপ-বিধি তৈয়াৰ কৰি অনুমোদনৰ কাৰণে ১৯৭৪ চনৰ মে’ মাহৰ আগতেই চৰকাৰৰ ওচৰত দাখিল কৰিলে যদিও আজিলৈকে চৰকাৰে এখনো উপ-বিধি অনুমোদন কৰি পৌৰ-নিগমলৈ ঘূৰাই পঠোৱা নাই। এই কথাৰ মাত্ৰ দুটা অৰ্থ হ’ব পাৰে। হয় চৰকাৰে শ্বাসৰোধ কৰি প্ৰগতিশীল ফ্ৰণ্টক অকালতে ক্ষমতা-চ্যুত কৰিব খুজিছে, অথবা এই চৰকাৰৰ অকৰ্মণ্যতা আৰু দায়িত্বহীনতাৰ কোনো সীমা নাই। চৰকাৰৰ কু-অভিসন্ধিৰ প্ৰমাণ পোৱা গৈছে আৰু এটা অবিশ্বাস্য ঘটনাৰ পৰা। মাত্ৰ কেইদিনমানৰ আগতে চৰকাৰে পৌৰ নিগমৰ কাৰ্য্যবাহী বিষয়াজনৰ দ্বাৰাই নিগমৰ সকলো নথি-পত্ৰ আৰু কাৰ্য্য-বিৱৰণীৰ বহী জব্দ কৰিছে। আইনমতে চৰকাৰে নিগমৰ সকলো নথি-পত্ৰ যিকোনো মুহূৰ্ত্ততে পৰীক্ষা কৰিব পাৰে। কিন্তু আইনত এই কথাও স্পষ্টভাৱে লিখা আছে যে মেয়ৰৰ অজ্ঞাতসাৰে বা বিনা অনুমতিত পৌৰ নিগমৰ নথি-পত্ৰ স্থানান্তৰ কৰিবলৈ চৰকাৰৰ বা পৌৰ নিগমৰ কোনো বিষয়াৰ অধিকাৰ নাই। কিন্তু আলোচনী প্ৰসংগত চৰকাৰে মেয়ৰৰ অস্তিত্বক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰি কমিছনাৰজনকেই সৰ্বেসৰ্বা কৰি তুলিছে— যেন গুৱাহাটীৰ পাঁচ লাখ নাগৰিকৰ দ্বাৰা বৈধভাৱে নিৰ্বাচিত মেয়ৰজনক টিলিকি মাৰি উৰাই দব পাৰি। চৰকাৰে এই কাৰ্য্যৰ দ্বাৰা কেৱল অসৎ ৰাজনৈতিক ষড়যন্ত্ৰ বা নিজে তৈয়াৰ কৰা আইনৰ প্ৰতি অসন্মানৰেই পৰিচয় দিয়া নাই, বৰ্তমান ৰাজ্য চৰকাৰ পৰিচালনা কৰা লোকসকলৰ সাধাৰণ সৌজন্যতাবোধৰ অভাৱৰো পৰিচয় দিছে। ৰাইজে ভাবিবলৈ বাধ্য হৈছে যে বৰ্তমান চৰকাৰে অন্যান্য বহুতো বস্তুৰ লগে লগে সাধাৰণ শিষ্টাচাৰবোধকো সমাজ-জীৱনৰ পৰা বহিষ্কাৰ কৰিছে।

পৌৰ নিগম সম্পৰ্কে আৰু এটা অবিশ্বাস্য ঘটনা হ’ল এই যে নিগমৰ বিভিন্ন ষ্টেণ্ডিং কমিটিলৈ যথাবিধি নিৰ্বাচিত কংগ্ৰেছী আৰু কমিউনিষ্ট সদস্যকেইজনে কোনো কাৰণ নেদেখুৱাকৈ সেই কমিটিবোৰৰ পৰা পদত্যাগ কৰিছে। তেওঁলোকৰ এই কাৰ্য্যই কিছুদিনৰ আগতে অসম বিধান সভাৰ পাব্লিক একাউণ্টছ কমিটি ভংগ কৰি দিয়া চৰকাৰী কৌশলৰ কথা ৰাইজক মনত পেলাই দিয়ে। তেওঁলোকে যথোচিত যুক্তি প্ৰদৰ্শন নকৰালৈকে ৰাইজে এই কথা ভাবি থাকিবলৈ বাধ্য হ’ব যে প্ৰগতিশীল ফ্ৰণ্টক ছলে-বলে কৌশলে ক্ষমতাচ্যুত কৰি পৌৰ নিগম ভংগ কৰি দিয়াৰ পথ সুগম কৰিবৰ কাৰণেই এইবোৰ কূট-কৌশলৰ আশ্ৰয় লোৱা হৈছে। লগতে ৰাইজে এই ধাৰণাও কৰিব যে জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থৰ কথা ভাবি এইবোৰ কাম কৰা হোৱা নাই, কৰা হৈছে সংকীৰ্ণতম দলীয় স্বাৰ্থৰ বিবেচনাতহে।

আমি প্রগতিশীল ফ্রন্টৰ হৈ ওকালতি কৰিব খোজা নাই। তেওঁলোকে যদি কিবা দোষ কৰিছে, তেন্তে অৱশ্যেই তেওঁলোকে শাস্তি পাব লাগিব। কিন্তু সেই শাস্তি হ'ব লাগিব আইন-সংগত। তদুপৰি গণতান্ত্ৰিক ব্যৱস্থাত এনে শাস্তি দিয়াৰ চূড়ান্ত অধিকাৰ কেৱল ৰাইজৰহে আছে। কিন্তু প্ৰাপ্ত তথ্য-পাতিৰ পৰা দেখা যায় যে সম্প্ৰতি গুৱাহাটী পৌৰ নিগম পৰিচালনা কৰা প্ৰগতিশীল ফ্রন্টৰ একমাত্ৰ অপৰাধ হ'ল এয়েই যে তেওঁলোকে শাসক দলক পৰাজিত কৰি অসমৰ সৰ্বপ্ৰধান নগৰ গুৱাহাটীত ক্ষমতা দখল কৰিবলৈ সমৰ্থ হ'ল। আমি ভাবো যে গুৱাহাটী পৌৰ নিগমৰ জন্ম লগ্নৰ পৰাই চৰকাৰে গণতান্ত্ৰিক পদ্ধতিৰে ক্ষমতালৈ অহা প্ৰগতিশীল ফ্রন্টক ছলে-বলে কৌশলে ক্ষমতাচ্যুত কৰিবলৈ চক্ৰান্ত কৰি উৎকট গণতন্ত্ৰ বিৰোধী মনোভাৱৰ পৰিচয় দিছে। তাৰ লগে লগে এই চৰকাৰে সংকীৰ্ণ দলীয় স্বাৰ্থত চিন্তাত নিমগ্ন। বৰ্তমান ৰাইজৰ বৃহত্তৰ স্বাৰ্থকো জলাঞ্জলি দিছে। বৰ্তমান চৰকাৰে ৰাজহুৱা জীৱনৰ যিবোৰ ক্ষতি সাধন কৰিছে, সেইবোৰৰ ভিতৰত আটাইতকৈ বিনাশ সাধন হৈছে কেতবোৰ মৌলিক মূল্যবোধৰ। সকলো চিন্তাশীল আৰু দায়িত্বশীল লোকে এই বিষয়ে গভীৰভাৱে চিন্তা কৰিবৰ সময় হ'ল। গুৱাহাটী পৌৰ নিগমৰ সমস্যা আজি কেৱল গুৱাহাটীৰ কেইলাখমান অধিবাসীৰ সমস্যা নহয়; দেশত যিবোৰ গণতান্ত্ৰিক অনুষ্ঠান আৰু গণতান্ত্ৰিক অধিকাৰৰ গড়াখহনীয়া হ'বলৈ ধৰিছে তাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাইজৰে ই এটা সমস্যা। চৰকাৰী ষড়যন্ত্ৰৰ দৰে ৰাইজৰ উদাসীনতাও গণতন্ত্ৰৰ এটা ডাঙৰ প্ৰত্যাহ্বান বুলি ক'ব পাৰি।

সাপ্তাহিক নীলাচল, ৩২৯ সংখ্যা : ২১ মে', ১৯৭৫ চন

ক্ষুধাৰ সীমান্ত নাই

শিশুটিক মৃত্যুৱে ইতিমধ্যেই আধা গ্ৰাস কৰিছে আৰু দুদিনমানৰ পিছতে সি মৰিব। মৃত্যুৰ পিছত সি নিশ্চয় কাউৰী-শগুণৰ ভোজ হ'ব। কাৰণ এই বিশাল পৃথিৱীত তাৰ আপোন বুলিবলৈ কোনো নাই। দিনৰ পিছত দিন একো খাবলৈ দিব নোবাৰি মাকে তাক অন্তহীন মৰুভূমিৰ অগ্নি কটাহৰ মাজত পেলাই থৈ গুচি গৈছে। এতিয়া সি সম্পূৰ্ণ অকলশৰীয়াভাৱে দিগন্তহীন মৰুভূমিৰ মাজত, মানুহৰ হৃদয়ৰ মৰুভূমিত, মৃত্যুৰ কাৰণে প্ৰতীক্ষা কৰিছে। মৃত্যুৰ কাৰণে এটি অভুক্ত অসহায় শিশুৰ নিঃসংগ প্ৰতীক্ষা— ইয়াতকৈ বেছি কৰুণ আৰু মৰ্মস্পৰ্শী দৃশ্য পৃথিৱীত আন কিবা আছেনে?

পৃথিৱীত এনে কোনো কাঠচিতীয়া নিমৰমীয়াল মানুহ আছেনে— যি মানুহে এনে এটি শিশুক দেখি প্ৰশ্ন কৰিব, সি কোন দেশৰ কোন জাতৰ শিশু? সি কি ভাষাত কথা কয়? তাৰ ধৰ্ম কি? মাতৃহৃদয়ৰ মমতাৰ কোনো ধৰ্ম বা ভাষা নাই। সি মানুহৰ শিশু। এয়েই তাৰ একমাত্ৰ পৰিচয়। আৰু মানুহৰো একমাত্ৰ পৰিচয় ফুটি উঠিব তেতিয়াহে, যেতিয়া ভোকৰ জ্বালাত তিলে তিলে দগ্ধ হৈ মৃত্যুৰ কাৰণে নিঃসংগ প্ৰতীক্ষা কৰা এই শিশুটিক দেখি তেওঁৰ অন্তৰে স্বতঃস্ফুৰ্তভাৱে হাহাকাৰ কৰি উঠিব, হাত দুখন মেলি মৃত্যুৰ কোলাৰ পৰা তাক নিজৰ কোলালৈ তুলি আনিবলৈ তেওঁ আগবাঢ়ি যাব।

এই শিশুটি আমাৰ পৰা কেইবা হাজাৰ মাইল দূৰৰ আন এখন পৃথিৱীৰ বাসিন্দা। তাৰ ঘৰ চোমালিয়াত। কিন্তু আজি যোৱা কেইমাহমান ধৰি এই গুৱাহাটীতেই আমি এনেকুৱা শ শ অস্থিচৰ্মসাৰ অৰ্ধমৃত শিশু দেখিবলৈ পাইছোঁ। কিহৰ গোন্ধ পাই হঠাৎ ক'ৰ পৰা সিহঁত জাকে জাকে আহি গুৱাহাটীত ওলালহি কোনেও ক'ব নোৱাৰে। সিহঁতক মানুহ বুলিও নিশ্চয় কোনেও গণ্য নকৰে। দেখাত মানুহৰ আকৃতিৰ হ'লেও এডাল অদৃশ্য সীমাৰেখাই সিহঁতক অন্য মানুহৰ পৰা পৃথক কৰি ৰাখিছে। ধূলি আৰু বোকাত লেটি লৈ পোকৰ নিচিনাকৈ কিলবিল কৰি থকা এই অৰ্ধমৃত শিশুবোৰ, আৰু সিহঁতৰ অৰ্ধনগ্ন, অৰ্ধমৃত মাকবোৰ এখন যেন জীৱন্ত প্ৰেতপুৰীৰ বাসিন্দা। সিহঁতক দেখি মানুহ ভয়ত উচাপ খাই উঠে, চকু-কাণ মুদি লৰালৰিকৈ সিহঁতৰ সন্মুখৰ পৰা পলাবলৈ চেষ্টা কৰে।

সিহঁতে নিশ্চয় এটা সমস্যাৰ সৃষ্টি কৰিছে। কিন্তু সেই সমস্যা এই নহয় যে মানুহৰ লগৰে কেতবোৰ মানুহ— হাজাৰ হাজাৰ অনাথ গৃহহীন শিশু আৰু তিৰোতা আমাৰ চকুৰ আগতে গেলি-পচি মৰিব ধৰিছে। সিহঁতে কিমানদিন নোখোৱাকৈ আছে, সিহঁতৰ ভৱিষ্যত কি, ধুমুহা-বৰষুণে পৃথিৱীত প্ৰলয়কাণ্ড সৃষ্টি কৰাৰ সময়ত এই উলংগ গৃহহীন মানুহবোৰে ক'ত আশ্ৰয় লয়— এইবোৰ প্ৰশ্নই কাকো বিচলিত কৰা নাই। বেছিভাগ মানুহৰ মনত এটাই চিন্তা— সিহঁত ক'ৰ পৰা আহিছে? সিহঁত ইয়াৰে থলুৱা বাসিন্দা নে সীমান্তৰ সিপাৰৰ বাংলাদেশৰ পৰা আহিছে? যদি বাংলাদেশৰ পৰা আহিছে, তেন্তে সিহঁতে এদিন অসমীয়া ভাষা-সংস্কৃতিৰ কাৰণে বিপদৰ সৃষ্টি নকৰিবনে?

খুব সম্ভৱ কৰিব। কোনো দেশেই বিদেশীৰ অবাধ প্ৰব্ৰজন সহ্য কৰিব নোৱাৰে। ভোকত আধামৰা হৈ চেৰেলা কুকুৰৰ দৰে ৰাস্তাই-বাটে ধূলি ধূসৰিত হৈ পৰি থকা এই মানুহবোৰে দুদিনমান খাবলৈ পাই গাটো টঙাব পাৰিলেই সিহঁতে তেতিয়া কেৱল ভাত পায়েই সন্তুষ্ট নাথাকিব, সিহঁতক লাগিব নিজৰ মাত, নিজৰ

এম. এল. এ., নিজৰ মন্ত্ৰী। সিহঁত তেতিয়া থলুৱা মানুহৰ ৰাজনৈতিক, আৰ্থিক আৰু সাংস্কৃতিক স্বাৰ্থৰ কাৰণে এটা ডাঙৰ বিপদ হৈ দেখা দিব।

কিন্তু আজি যি সময়ত এটা কংকালসাৰ শিশুৱে ৰৌদ্ৰ দগ্ধ নিকৰুণ আকাশৰ তলত ৰাজপথৰ গলিত পীচৰ ওপৰত পৰি চেণ্ডালুটি পাৰিছে, অভুক্ত শিশুৰ মুখত দিনৰ পিছত দিন এগৰাহ উচ্ছিষ্টও গুজি দিব নোৱাৰি যি মাতৃৰ মনত উন্মাদনাৰ জুই জ্বলিছে, সিহঁতো যে মানুহ সেইয়া সমূলি পাহৰি গৈ আমি সিহঁতক কেৱল 'সমস্যা' বুলিয়েই চামনে? আমি কি ধৰণৰ 'সংস্কৃতি' ৰক্ষাৰ চিন্তাত ব্যাকুল হৈ এই মানুহবোৰক ভূত দেখাৰ দৰে দেখিছোঁ যি 'সংস্কৃতি'য়ে মৰণকাতৰ শিশুৰ প্ৰতিও আমাৰ মনত বিন্দুমাত্ৰ মানবীয় সহানুভূতি জগাই নোতোলে? মানুহৰ প্ৰতি নিঃচৰ্ত অপাৰ মমত্ববোধেই মানুহৰ সংস্কৃতিৰ মহত্তম নিদৰ্শন নহয়নে? যি ভাষাত দৰিদ্ৰ হতভাগ্যৰ প্ৰতি এষাৰি 'আহি ঐ দেহি' মাত ফুটি নুঠিল, সেই ভাষাক আমি মানুহৰ ভাষা বুলি ক'মনে?

বিদেশীৰ অবাধ প্ৰব্ৰজন কঠোৰ হাতেৰে বন্ধ কৰা হওক। সীমান্তৰ পহৰা চকী গুৰি পকৰা এটা সোমাব নোৱৰাকৈ কটকটীয়া কৰা হওক। অসমৰ থলুৱা স্বাৰ্থ ৰক্ষা কৰিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা লোৱা হওক। কিন্তু তাৰ অৰ্থ এই নহয় যে আমি মানুহক মানুহ বুলি নাচাই কেৱল কেতবোৰ বিমূৰ্ত সমস্যা আৰু ধাৰণাৰ প্ৰতীক বুলিহে সদায় গণ্য কৰিব লাগিব। গুৱাহাটীত দেখা দিয়া কংকালসাৰ ভিক্ষাৰীৰ মিছিলত বিভিন্ন ৰাজ্যৰ বিভিন্ন ভাষাৰ মানুহ থাকিব পাৰে, কিন্তু আমি এই কথা যেন পাহৰি নাযাওঁ যে ক্ষুধাৰ কোনো সীমান্ত নাই। আমি এই কথাও পাহৰি নাযাওঁ যে আমাৰ ওচৰ-চুবুৰীয়াৰ ঘৰত সুখ-শান্তি বিৰাজ নকৰালৈকে আমি নিজেও সুখত থাকিব নোৱাৰোঁ। আজিৰ জগতত ক্ষুধা আৰু দাৰিদ্ৰ্যৰ সমস্যা য'তেই নাথাকক কিয়, সি আচলতে সমগ্ৰ মানব জাতিৰ উমৈহতীয়া সমস্যা। টমাছ পেইনে কৈছিল : "য'তেই স্বাধীনতা আছে, সিয়েই মোৰ স্বদেশ।" কথাষাৰৰ সামান্য সলনি কৰি আমি ক'ব পাৰোঁ— "ক্ষুধা, দাৰিদ্ৰ্য আৰু শোষণ য'ত আছে, তাতেই আছে মোৰ সংগ্ৰাম ক্ষেত্ৰ।" ভৌগোলিক সীমাৰেখাই খণ্ডিত কৰা মানুহ কেতিয়াও সম্পূৰ্ণ মানুহ হ'ব নোৱাৰে। সম্পূৰ্ণ মানুহৰ কাৰণে সমগ্ৰ পৃথিৱীখনেই অন্যায়-অবিচাৰ আৰু শোষণৰ বিৰুদ্ধে এক অখণ্ড সংগ্ৰামক্ষেত্ৰ। কামত একো কৰিব নোৱাৰিলেও অন্ততঃ আমাৰ অনুভূতিত এই চিন্তাটো জীয়াই ৰাখিবলৈ আমি যেন চেষ্টা কৰোঁ।

উইলিয়াম ব্লেকে কৈছিল— "A dog starved at his master's gate predicts the ruin of the state."

আজি আমাৰ দুৱাৰে দুৱাৰে বিবোৰ জীৱ ভোকৰ জ্বালাত উন্মাদ হৈ ঘূৰি ফুৰিছে, সিহঁততো কুকুৰ নহয়, সিহঁত মানুহ। সিহঁতক নিশ্চিত মৃত্যুৰ গহ্বৰলৈ নিক্ষেপ কৰাৰ আগতে আমি যেন সিহঁতক মানুহ বুলি স্বীকাৰ কৰি লওঁ।

সাপ্তাহিক নীলাচল, ৩৩১ সংখ্যা ঃ ৪ জুন, ১৯৭৫ চন

কলেজ শিক্ষকৰ আন্দোলন আৰু অসম চৰকাৰ

অসম কলেজ শিক্ষক সন্থাৰ পৰীক্ষা বৰ্জন আন্দোলনে ক্ৰমাত তাৎপৰ্য্যপূৰ্ণ ৰূপ ধাৰণ কৰা দেখা গৈছে। ইতিমধ্যে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰাক-বিশ্ববিদ্যালয় পৰীক্ষা ১১ জুনৰ পৰা হ'ব বুলি ঘোষণা কৰিছে। চৰকাৰৰ নিৰ্দেশ মতে এই ঘোষণা কৰা হৈছে বুলি বিশ্ববিদ্যালয়ৰ সূত্ৰৰ পৰা জানিব পৰা গৈছে। কিন্তু কোনো শিক্ষক সন্থাৰ সৈতে চৰকাৰে কোনো মীমাংসা নকৰাৰ ফলত এই পৰীক্ষাত শিক্ষকসকলৰ অসহযোগিতা অব্যাহত আছে। এনে এটা পৰিস্থিতিত কলেজৰ অধ্যক্ষসকলৰ [illegible]উলিলেও পৰীক্ষা পাতিব পৰা নহ'ব বুলি কৰ্তৃপক্ষক ইতিমধ্যে জনাই থোৱা বাবে চৰকাৰে এতিয়া চৰকাৰী বিষয়া আৰু পুলিচ বিষয়াৰ তত্ত্বাবধানত পৰীক্ষা পতাৰ চিন্তা কৰিছে। গুৱাহাটীৰ কলেজবোৰলৈ এজন মেজিষ্ট্ৰেট গৈ এই কথা জনাই দিছে। অসম চৰকাৰে এজন উচ্চ বিষয়াক ইতিমধ্যে উৰিষ্যালৈ পঠাই উৰিষ্যা চৰকাৰৰ পৰা দিহা-পৰামৰ্শও আনিছে। উৰিষ্যাতো শিক্ষকসকলে অসহযোগ কৰাত চৰকাৰী বিষয়াৰ সহায়ত পৰীক্ষা পাতিবলৈ লৈছে। অসমৰ চৰকাৰী বিষয়াসকল এই বিষয়ত সম্পূৰ্ণ নিশ্চিত হ'ব পৰা নাই। তেওঁলোকৰ কেবাজনেও কোৱা মতে অসমৰ পৰিস্থিতিৰ লগত উৰিষ্যাৰ পৰিস্থিতিৰ মিল নাই। অসমৰ পৰীক্ষাৰ্থীসকল শিক্ষকসকলৰ অনুপস্থিতিত পৰীক্ষা দিবলৈ ৰাজী নহয়। এই কথা পৰীক্ষাৰ্থীসকলে নিশ্চয় বিশ্ববিদ্যালয়ক জনাই দিছে। পুলিচ বিষয়া পৰিচালিত পৰীক্ষা প্ৰকৃততে বিশ্ববিদ্যালয়ৰ পৰীক্ষা নহ'ব বুলি পৰীক্ষাৰ্থীসকলৰ মত। বাইজ আৰু পৰীক্ষাৰ্থীসকলে দাবী কৰিছে যে চৰকাৰে কলেজ শিক্ষক সন্থাৰ নিম্নতম দাবী ততালিকে মানি ল'ব লাগে। এই প্ৰসঙ্গতে উল্লেখযোগ্য যে কলেজ শিক্ষক সন্থাৰ তিনিটা দাবীৰ ভিতৰত কেবল প্ৰথমটোহে আছিল তেওঁলোকৰ দৰ্মহা-সম্পৰ্কীয়; বাকী দুটা দাবীৰ দ্বাৰা ঘাটি-মজুৰী নোপোৱা কলেজবোৰক চৰকাৰৰ ঘাটি-মজুৰী আঁচনিৰ অধীনলৈ আনিবলৈ আৰু বিশ্ববিদ্যালয়ৰ আইন সংশোধন কৰিবলৈ চৰকাৰক অনুৰোধ কৰা হৈছিল। অলপতে অসম চৰকাৰে প্ৰকাশ কৰা এখন প্ৰচাৰ-পুস্তিকাত কোৱা হৈছে যে শিক্ষক সন্থাৰ দ্বিতীয় দুটা দাবীৰ 'মীমাংসা' হৈয়ে আছে; কেৱল দৰ্মহা সম্পৰ্কীয় দাবীটোৰ মীমাংসাৰ কাৰণেহে চৰকাৰে ছমাহ সময় বিচাৰিছে। সেয়েই যদি হয়, তেন্তে শিক্ষক সন্থাই দৰ্মহা সম্পৰ্কীয় দাবীটো বিশদভাৱে পৰীক্ষা কৰি চাবলৈ চৰকাৰক ছমাহ সময় দিবলৈ সন্মত হোৱা সত্ত্বেও ইতিমধ্যে "মীমাংসা হৈ থকা বাকী দুটা দাবীৰ ক্ষেত্ৰত চৰকাৰৰ সিদ্ধান্ত আনুষ্ঠানিকভাৱে ঘোষণা কৰি এই অভূতপূৰ্ব শিক্ষা-সংকটৰ অবসান ঘটোৱাৰ ক্ষেত্ৰত চৰকাৰক কিহে বাধা দি ৰাখিছে? চৰকাৰ এতিয়া নিজৰ কথাত নিজেই বান্ধ খাই পৰিছে। মিছা ভেম পৰিত্যাগ কৰি চৰকাৰে এই সংকটৰ অবসান ঘটাবলৈ আগবাঢ়ি নাহিলে ইয়াৰ পৰা উদ্ভৱ হ'ব পৰা সকলো পৰিণামৰ কাৰণে চৰকাৰে নৈতিকভাৱে জগৰীয়া হ'ব লাগিব।

যোৱা ২৬/২৭ মে'ত বহা কলেজ শিক্ষক সন্থাৰ কাৰ্য্য-নিৰ্বাহকে ঘোষণা কৰা প্ৰস্তাৱক সকলোৱে অতি যুক্তিপূৰ্ণ আৰু সমৰ্থনযোগ্য বুলি মত প্ৰকাশ কৰিছে। প্ৰকৃততে এই প্ৰস্তাৱ দেখাৰ পিছতহে ৰাইজে বুজিব পাৰিলে যে শিক্ষক সন্থাৰ পৰীক্ষা বৰ্জন আন্দোলনৰ থাই উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণ-সাধন। কলেজীয়া শিক্ষাৰ উন্নতি সাধিবলৈ হ'লে কলেজৰ পৰিচালনা, শিক্ষাদান আৰু শিক্ষকৰ সামাজিক স্থান উন্নত হ'বই লাগিব। আটাইতকৈ ডাঙৰ সমস্যা হ'ল— প্ৰতি বছৰে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত হাজাৰ

হাজাৰ পৰীক্ষাৰ্থী কিয় ফেল হ'বলগীয়া হয়? শতকৰা পাছৰ হাৰ কেতিয়াও চল্লিশৰ ওপৰ হোৱা নাই। ২০ হাজাৰ ছাত্ৰই পৰীক্ষা দিলে ১২ হাজাৰেই ফেল কৰে। ফলত এই ১২ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকল অশেষ ক্ষতিগ্ৰস্ত হয় আৰু ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনো সমস্যা-সংকুল হৈ পৰে। কিন্তু এই গুৰুত্বপূৰ্ণ সমস্যাটোৰ সম্পৰ্কত চৰকাৰ আৰু বিশ্ববিদ্যালয় উভয় পক্ষই নিমাত। যেন পৰীক্ষা পাতি দিলেই চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ কৰ্তব্যৰ ওৰ পৰে। জধে-মধে কলেজৰ সংখ্যা বৃদ্ধি হোৱাৰ কাৰণে বাইজ বা শিক্ষকসকল দায়ী নহয়। ঘাইকৈ কংগ্ৰেছী ৰাজনীতিকসকলে নিজৰ ৰাজনৈতিক স্বাৰ্থতেই কলেজ পতাৰ ক্ষেত্ৰত আগভাগ লয়। এবাৰ কলেজ হৈ উঠাৰ পিছত কলেজৰ পৰিচালনা সমিতি গঠন আৰু শিক্ষক নিযুক্তিৰ বিষয়টোক চৰকাৰে সদায় নিজৰ সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থ-সিদ্ধিৰ উদ্দেশ্যত অনুগ্ৰহ-বিতৰণৰ উপায় হিচাপে ব্যৱহাৰ কৰে। কলেজীয়া শিক্ষাক লেতেৰা চৰকাৰী ৰাজনীতিৰ কলুষ-স্পৰ্শৰ পৰা মুক্ত কৰিবৰ কাৰণেই বিশ্ববিদ্যালয়ৰ আইন সংশোধন কৰিবলৈ দাবী কৰা হৈছে। এই দাবী কাৰ্য্যকৰী কৰিবলৈ মান্তি নহৈ চৰকাৰে এই কথাই প্ৰমাণ কৰিছে যে ছাত্ৰ-শিক্ষকৰ কল্যাণ সাধন আৰু শিক্ষাৰ প্ৰগতিশীল সংস্কাৰতকৈ দলীয়া ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ প্ৰতিহে চৰকাৰৰ আগ্ৰহ বেছি।

পৰীক্ষা অনিৰ্দিষ্ট কালৰ কাৰণে বন্ধ হৈ থকাৰ ফলত ৰাজ্যখনত এক অভূতপূৰ্ব শিক্ষা-সংকটে দেখা দিছে আৰু হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত অনিশ্চিত হৈ পৰিছে। প্ৰথম অৱস্থাত শিক্ষক সন্থাৰ পৰীক্ষা-বৰ্জন সিদ্ধান্তৰ প্ৰতি ৰাইজৰ মনোভাব যেনেকুৱাই নহওক কিয়, এতিয়া কিন্তু তেওঁলোকে এৰা ধৰাৰ মনোভাবেৰে সম্মানজনক আপোচলৈ আহিবলৈ সিদ্ধান্ত লোৱাৰ পিচত সমস্যাটোৰ সমাধানৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰৰ হাতলৈ আহি পৰিছে। চৰকাৰে কিন্তু এই ক্ষেত্ৰত এটা বিপজ্জনক খেলাত অৱতীৰ্ণ হৈছে। বিশ্বস্ত সূত্ৰে জানিবলৈ পোৱা মতে চৰকাৰে এখন অধ্যাদেশ জাৰী কৰি শিক্ষকসকলৰ সেৱাক 'অত্যাৱশ্যকীয় সেৱা' বুলি ঘোষণা কৰিবলৈ প্ৰস্তুত হৈছে। ৰাজ্যপালৰ অনিচ্ছাৰ কাৰণেহে [illegible]ন এই অধ্যাদেশ এতিয়াও জাৰী কৰিব পৰা নাই। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্য্যনিৰ্বাহকৰ বৈঠকত ৰা[illegible] এজন শীৰ্ষস্থানীয় সমাজবাদী নেতাই বোলে মত প্ৰকাশ কৰিছিল যে যি চৰকাৰে ৰেল-ধৰ্মঘটৰ [illegible]না এটা বৃহৎ ধৰ্ম-ঘট মষিমুৰ কৰি দিব পাৰিলে, সেই চৰকাৰে কলেজ শিক্ষক সন্থাৰ নিচিনা এটা ক্ষুদ্ৰ অনুষ্ঠানৰ ওচৰত সেও মানিবৰ কোনো প্ৰয়োজন নাই। এই ধৰণৰ লোকসকলে এটা কথা পাহৰি থাকে যে দেশৰ বৌদ্ধিক জীৱনত নেতৃত্ব লোৱা শিক্ষকসকলক ৰেল-কৰ্মচাৰীৰ লগত কেতিয়াও একে শাৰীতে থব নোৱাৰি। সংগঠিত শিক্ষক আৰু ছাত্ৰ-শক্তিৰ লগত সমুখ-সমৰত অৱতীৰ্ণ হৈ চৰকাৰে কেতিয়াও চূড়ান্ত বিজয় লাভ কৰিব বুলি আশা কৰিব নোৱাৰে। বৰং তেনে কৰিব গ'লে তেওঁলোকে জুইৰ লগত ধেমালি কৰাৰ দৰেই হ'ব। শিক্ষকসকলৰ অন্যায় দাবী ৰাইজে কেতিয়াও সমৰ্থন নকৰে। কিন্তু চৰকাৰে এতিয়াও শিক্ষকসকলৰ দাবী অন্যায় বুলি যুক্তি সহকাৰে প্ৰতিপন্ন কৰিব পৰা নাই। বৰং চৰকাৰে নিজেই বাৰম্বাৰ প্ৰতিশ্ৰুতি ভংগ; দীৰ্ঘসূত্ৰিতা আৰু আউলীয়া চিন্তাৰ পৰিচয় দিহে আহিছে। যোৱা ৩০ মে' তাৰিখে মুখ্যমন্ত্ৰীয়ে বৰ্ঝাৰ বিমান বন্দৰত সাংবাদিকসকলৰ আগত মত প্ৰকাশ কৰিছে যে শিক্ষক সন্থাৰ পৰীক্ষা বৰ্জনৰ সিদ্ধান্তৰ প্ৰস্তাৱ বৈধভাৱে গৃহিত হোৱা নাছিল। সেয়াই যদি হয় তেন্তে এটা অবৈধ প্ৰস্তাৱৰ ওপৰত চৰকাৰে ইমান দিন ধৰি আলোচনা চলাই আছিল কিয়? এনে ধৰণৰ মানসিকতা আৰু চিন্তা-শক্তিৰে গাই গৰু যুঁজৰ নিচিনা লেলপেলীয়া যুঁজ কৰি থাকিব পাৰি, কিন্তু তাৰ দ্বাৰাই অতি জটিল আৰু জ্বলন্ত সমস্যাবোৰ সমাধান কৰিব নোৱাৰি।

কণা হাঁহক পতান ধান

খাৰুৱা তেল সম্পৰ্কে যোৱা ৭ মে' তাৰিখে পেট্ৰোলিয়াম মন্ত্ৰী শ্ৰীমালব্যই পাৰ্লিয়ামেণ্টত কৰা ঘোষণা কণা হাঁহক পতান ধান দি ভুৰুকিয়াবলৈ কৰা চেষ্টাৰ বাহিৰে আন একো নহয়। প্ৰধান মন্ত্ৰীয়ে এবাৰ স্পষ্টভাবে ঘোষণা কৰি থৈছিল যে অসমত অতিৰিক্ত খাৰুৱা তেল ওলালে সেই তেল বাহিৰলৈ নিনি অসমতে শোধন কৰাৰ ব্যৱস্থা কৰা হ'ব। প্ৰধান মন্ত্ৰীয়ে অসমক দিয়া অন্যান্য বহুতো প্ৰতিশ্ৰুতিৰ দৰে এই প্ৰতিশ্ৰুতিও এটা প্ৰতাৰণাৰ বুলিহে প্ৰমাণিত হ'ল। অৱশ্যে ইয়াৰ কাৰণে সকলো দোষ কেৱল মালব্যৰ গাতে জাপি দি লাভ নাই। অসমৰ ৰাইজৰ এই কথা নিশ্চয় মনত আছে যে অসমৰ অতিৰিক্ত খাৰুৱা তেল বাৰাউনীলৈ লৈ যোৱাৰ সকলো ব্যৱস্থা সেই সময়ৰ কেন্দ্ৰৰ চৰকাৰৰ অসমীয়া পেট্ৰোলিয়াম মন্ত্ৰী দেৱকান্ত বৰুৱাৰ দিনতেই কৰা হৈছিল। বহুদিন ধৰি অসমৰ মানুহৰ মনত এটা ধাৰণা আছিল যে কেন্দ্ৰীয় চৰকাৰত অসমৰ শক্তিশালী প্ৰতিনিধিত্ব নথকাৰ কাৰণেই অসমে এই প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে।

এতিয়া সেই সান্ত্বনা লোৱাৰ কোনো স্থলী বাকী নাথাকিল। আজি অসমত এনে এজনো নেতা নাই যিজনে ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থ বা ভৱিষ্যত বংশধৰ সকলৰ স্বাৰ্থৰ কথা ভাবি কাম কৰে। প্ৰত্যেকেই নিজৰ নিজৰ চাকৰি ৰক্ষা কৰাৰ চেষ্টাত ব্যস্ত। এনে অৱস্থাত ৰাইজে নিজে যদি নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে সৰ্বস্ব পণ কৰিবলৈ আগবাঢ়ি নাহে, তেন্তে ৰাইজৰ ভৱিষ্যত সম্পূৰ্ণ অন্ধকাৰ।

অসমত উৎপাদিত হোৱা খাৰুৱা তেলৰ মাত্ৰ কেই লাখমান টন ডিগবৈ আৰু নুনমাটি শোধনাগাৰত শোধন কৰা হয়; বাকী দুই নিযুত টনেই শোধন কৰা হয় বাৰাউনী শোধনাগাৰত। ১৯৬৪-৬৫ চনত যেতিয়া শিৱসাগৰ জিলাত তেল খাদসমূহত অতিৰিক্ত খাৰুৱা তেল ওলোৱাৰ সম্ভাৱনা দেখা গ'ল তেতিয়া লৰালৰিকৈয়ে বাৰাউনী শোধনাগাৰৰ শোধন ক্ষমতা আৰু এক নিযুত টনলৈ বঢ়াই দিয়া হ'ল। এইবোৰ কথা অসমৰ চৰকাৰে বা ৰাইজে তেতিয়া গমেই নাপালে। আজি শ্ৰীমালব্যই প্ৰয়োজন হ'লে নুনমাটি শোধনাগাৰৰ শোধন ক্ষমতা বৃদ্ধি কৰাৰ কথা কৈছে। কিন্তু এইখিনিতেই প্ৰশ্ন নহয়নে, যে ১৯৬৪-৬৫ চনতেই যেতিয়া ৰুদ্ৰসাগৰ আৰু লাকুৱা তেল খাদত অতিৰিক্ত খাৰুৱা তেল আহৰণৰ সম্ভাৱনা দেখা গৈছিল, তেতিয়াই নুনমাটি শোধনাগাৰ সম্প্ৰসাৰণ কৰাৰ কথা চিন্তা নকৰি বাৰাউনী শোধনাগাৰক অতিৰিক্ত এক নিযুত টন খাৰুৱা তেল শোধন কৰাৰ ব্যৱস্থা কিয় কৰি ৰখা হ'ল? কিন্তু আজি শ্ৰীমালব্যই এই অজুহাত দেখুৱাবলৈ সুবিধা পালে যে বাৰাউনী শোধনাগাৰৰ অতিৰিক্ত তৃতীয় ইউনিটটো অব্যৱহৃত হৈ পৰি থকাৰ কাৰণেহে অসমৰ অতিৰিক্ত খাৰুৱা তেল তালৈ নিব লগা হৈছে।

প্ৰতাৰণা বা ছল-চাতুৰীৰো এটা সীমা থকা উচিত। অসম চৰকাৰৰ সীমাহীন অজ্ঞতা আৰু অক্ষমতাৰ সুযোগ লৈ কেন্দ্ৰৰ ছল-চাতুৰীয়ে সকলো সীমা অতিক্ৰম কৰি গৈছে। এতিয়া শেহতীয়া পৰিস্থিতি হৈছে এই যে ১৯৭৭-৭৮ চন বা তাৰ পিছত অসমত যি ৫৩ লাখ খাৰুৱা তেল উৎপাদিত হ'ব, তাৰ ৩০ লাখ টনেই লৈ যোৱা হ'ব বাহিৰলৈ, বাৰাউনী শোধনাগাৰলৈ। বাকী থকা খাৰুৱা তেলখিনিৰ ১০ লাখ টন প্ৰস্তাৱিত বঙাইগাঁও শোধনাগাৰত ব্যৱহাৰ কৰিও অসমত এটা তৃতীয় শোধনাগাৰ স্থাপন কৰাৰ সম্পূৰ্ণ স্থল আছে; কিন্তু কেন্দ্ৰীয় তেল-মন্ত্ৰীৰ বিবৃতিৰ পৰা স্পষ্ট ধাৰণা হয় যে কেন্দ্ৰীয় চৰকাৰে সেই বিষয়ে সম্পূৰ্ণ

চিন্তা কৰা নাই। এতিয়া বঙাইগাঁও শোধনাগাৰৰ নিৰ্মাণ কাৰ্য্য কেতিয়া সম্পূৰ্ণ হ'ব সেই কথা সম্পূৰ্ণ অনিশ্চিত, নুনমাটি শোধনাগাৰ সম্প্ৰসাৰণ সময়-সাপেক্ষ, একমাত্ৰ নিশ্চিত কথা হ'ল এয়েই যে অসমৰ ৩০ লাখ টন খাৰুৱা তেল বাৰাউনী শোধনাগাৰলৈ লৈ যোৱাৰ ব্যৱস্থা ইতিমধ্যেই সম্পূৰ্ণ হৈছে।

কিন্তু অসমৰ পৰা কেৱল যে ৩০ লাখ টন খাৰুৱা তেলহে বাৰাউনী শোধনাগাৰলৈ নিয়া হ'ব, অসমৰ অজলা চৰকাৰ বা বাইজৰ চকুত ধূলি দি তাতকৈ বেছি নিয়া নহ'ব, সেই বিষয়েও কিবা নিশ্চয়তা আছেনে? আমাৰ মনত এনে এটা সন্দেহ উদয় হোৱাৰ যথেষ্ট যুক্তি আছে। খাৰুৱা তেলৰ আহৰণ আৰু নলী-পথেৰে তাৰ পৰিবহন এটা অতিশয় জটিল কাৰিকৰী ব্যাপাৰ। পৃথিৱীৰ সকলো দেশতে তেল আহৰণ সম্পৰ্কীয় সকলো তথ্য অতিশয় গোপনে ৰখা হয়। বিশেষজ্ঞৰ বাহিৰে এইবোৰ তথ্য আন কোনেও ভালকৈ বুজিব নোৱাৰে। অসমৰ ভূ-গৰ্ভত মুঠতে কিমান খাৰুৱা তেল জমা হৈ আছে, কিমান এতিয়ালৈকে আহৰণ কৰা হৈছে, আৰু অদূৰ ভৱিষ্যতত কিমান বেছি খাৰুৱা তেল আহৰণৰ সম্ভাৱনা আছে— এইবোৰ বিষয় সম্পৰ্কে কোনো তথ্যই অসম চৰকাৰে নিজে নাজানে। কেন্দ্ৰই যি হিচাপ দিছে তাকে ৰাজ্য চৰকাৰে বিনা-বাক্য-ব্যয়ে মানি লৈছে। তদুপৰি নলী পথেৰে খাৰুৱা তেল পৰিবহন কৰাৰ ক্ষেত্ৰতো এনে বহুতো কিটিপ্ থাকে বা ইতিমধ্যেই এনে বহুতো কিটিপ প্ৰয়োগ কৰা হৈছে বুলি শুনা গৈছে— যাৰ ফলত মুখেৰে ৩০ লাখ টন খাৰুৱা তেল নিয়া হ'ব বুলি ঘোষণা কৰি কামত ৫০ লাখ টন লৈ গ'লেও তাক ধৰা পেলাবলৈ অসম চৰকাৰৰ সাধ্য নহ'ব। এই সকলোবোৰ কথা বিবেচনা কৰি আমি ভাবোঁ যে এই আটাইবোৰ বিষয় সম্পৰ্কে পুংখানুপংখভাৱে তদন্ত কৰি অসম চৰকাৰক এটা বিশদ প্ৰতিবেদন দাখিল কৰিবলৈ বা দিহা-পৰামৰ্শ দিবলৈ ৰাজ্য চৰকাৰে দেশী বা বিদেশী বিশেষজ্ঞৰ দল এটাক স্বতন্ত্ৰীয়াভাৱে নিয়োগ কৰা উচিত। প্ৰসংগতঃ এইখিনিতে উল্লেখযোগ্য যে শ্ৰীবিষ্ণুৰাম মেধি অসমৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত অসমত যেতিয়া প্ৰথম তেল শোধনাগাৰ আন্দোলন আৰম্ভ হয়, তেওঁ তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ তেল সম্পৰ্কীয় [illegible]তিৰ ওপৰতে নিৰ্ভৰ নকৰি ডিগবৈৰ অসম তেল কোম্পানীৰ অসমীয়া বিষয়াসকলক নিজে লগ[illegible] তেওঁলোকৰ পৰা দিহা-পৰামৰ্শ লৈছিল। তেওঁৰ পিছৰজনা মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাই এটা ফৰাচী বিশেষজ্ঞৰ দলক এই কামত নিয়োগ কৰি তেওঁলোকৰ পৰা প্ৰতিবেদন লৈছিল। এতিয়া অসমত খাৰুৱা তেলৰ উৎপাদন আগতকৈ বহুগুণে বৃদ্ধি পাইছে, নানা ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত গোটেই বিষয়টোও আগতকৈ বহুগুণে জটিল হৈছে, কিন্তু এনে অৱস্থাতো অসমৰ নতুন শাসকসকলে নিজৰ পৰ্বত-প্ৰমাণ অজ্ঞতাৰ বাহিৰে আন কাৰো ওপৰত নিৰ্ভৰ কৰিবলৈ চেষ্টা কৰা নাই। কণা হাঁহ দেখিলেই বহুতেই 'পতান ধান দি ঠগিব খোজেই; কিন্তু তাৰ দ্বাৰা দিওঁতাসকলৰ হৃদয়হীনতা যিমান প্ৰমাণিত হয়, তাতোকৈ বহুগুণে বেছি প্ৰমাণিত হয় হাঁহৰ অন্ধতাৰ দুৰ্ভাগ্য। অসমৰ ক্ষেত্ৰতো আজি ঠিক সেয়েই হৈছে। যিহওক, এতিয়াও সময় পাৰ হৈ যোৱা নাই; তেল সম্পদৰ লগত অসমৰ বৃহৎ অৰ্থনৈতিক স্বাৰ্থ জড়িত থকা কথালৈ লক্ষ্য ৰাখি অসম চৰকাৰে 'হবুচন্দ্ৰ ৰজাৰ গবুচন্দ্ৰ মন্ত্ৰী'ৰ দৰে কাম নকৰি এতিয়াও এজন তেল-সম্পৰ্কীয় উপদেষ্টা নিয়োগ কৰা উচিত।

মুখ্যমন্ত্ৰী সিংহই কৈছে যে তৃতীয় শোধনাগাৰ এটা স্থাপনৰ কাৰণে তেওঁ কেন্দ্ৰৰ লগত লিখা-লিখি কৰি আছে। তেওঁ লিখা-লিখি কৰি কৰি বঢ়িয়াৰ কেলৰে ডিভিজন কাৰ্য্যালয়ৰ কি অৱস্থা কৰিছে সেই কথা অসমৰ মানুহে চকুৰ আগতে দেখি আছে। গতিকে এইবোৰ বক্তৃতাকৰ্তা তোল নোহোৱাই বেছি ভাল। অসমৰ মানুহে যদি তৃতীয় তেল শোধনাগাৰ লাগে বুলি মনে-চিতে ভাবে, তেন্তে তাৰ কাৰণে স্পষ্ট প্ৰতিশ্ৰুতি আগন্তুক সাধাৰণ নিৰ্বাচনৰ আগে আগে আদায় কৰিব পাৰিব লাগিব। নিৰ্বাচন কেনেবাকৈ এবাৰ পাৰ হৈ গ'লে তাৰ পিছত আৰু কৰবাইলৈ একো নহয়।

ইন্দিৰা গান্ধীৰ "ধৰ্ম-সংকট"

গুজৰাট বিধান সভাৰ নিৰ্বাচনৰ প্ৰায়বোৰ ফলাফল বাৰ জুন তাৰিখেই বাহিৰ হৈছিল আৰু এই নিৰ্বাচনৰ চূড়ান্ত পৰিণাম সম্পৰ্কে কাৰো মনত কোনো সন্দেহৰ অৱকাশ নাছিল। কংগ্ৰেছৰ ক্ৰমবৰ্দ্ধমান সংকট আৰু দ্ৰুত ক্ষয়ীমান জনপ্ৰিয়তাৰ পৰিপ্ৰেক্ষিতত এই নিৰ্বাচনৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিছিল শাসক দলৰ ৰাজনৈতিক ভৱিষ্যত। হয়তো তাতোকৈ বহু বেছি পৰিমাণে নিৰ্ভৰ কৰিছিল প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ ব্যক্তিগত ৰাজনৈতিক ভাগ্য। সেই কাৰণেই গুজৰাটৰ নিৰ্বাচনত গান্ধীয়ে তেওঁৰ সৰ্বশক্তি নিয়োগ কৰিছিল। বাৰ জুন তাৰিখৰ ৰাতিলৈ এই কথা প্ৰমাণ হৈ-গ'ল যে তেওঁৰ নামৰ যি মোহিনী মন্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰি কংগ্ৰেছে যোৱা ছয় বছৰ কাল অভূতপূৰ্ব ৰাজনৈতিক মৰ্যাদা আৰু অপ্ৰতিদ্বন্দ্বী ক্ষমতা ভোগ কৰি আহিছিল, এই মোহিনী মন্ত্ৰৰ আগৰ শক্তি এতিয়া আৰু নাই। তেওঁ সমস্ত চেষ্টা ব্যৰ্থ কৰি আৰু কংগ্ৰেছৰ মাজত আতংকৰ সঞ্চাৰ কৰি জনতা ফ্ৰণ্টে গুজৰাট বিধান সভাত সংখ্যা গৰিষ্ঠ দল হোৱাৰ গৌৰৱ অৰ্জন কৰিলে। শ্ৰীমতী গান্ধীক চিন্তিত কৰি তুলিবলৈ আৰু দেশৰ ৰাজনীতিত পৰিবৰ্তনৰ প্ৰক্ৰিয়াৰ সূচনা কৰিবলৈ এই ঘটনাই যথেষ্ট আছিল। কিন্তু ঘটনাৰ ইমানতেই অন্ত নপৰিল। সেই একে বাৰ জুন তাৰিখেই আৰু এনে এটা ঘটনা ঘটিল, যাৰ প্ৰতিক্ৰিয়া শ্ৰীমতী গান্ধীৰ আৰু লগতে দেশৰো ৰাজনৈতিক জীৱনত বহুত বেছি গুণ সুদূৰপ্ৰসাৰী হ'বলৈ বাধ্য। একে আষাৰে ক'বলৈ গ'লে এই ঘটনাই সমগ্ৰ দেশ ব্যাপী যি নাটকীয় উত্তেজনা সৃষ্টি কৰিছে আৰু অভূতপূৰ্ব ৰাজনৈতিক সংকটৰ পূৰ্বাভাস বহন কৰিছে, তাৰ সমতুল্য আন এটা নজীৰ এই দেশৰ স্বাধীনতাৰ পৰৱৰ্তী ইতিহাসত বিচাৰি পাবলৈ নাই।

সৰ্বসাধাৰণ ৰাইজে এই কথা নাজানিছিলেই বা জনাসকলৰো বেছিভাগেই প্ৰায় পাহৰিয়েই গৈছিল যে ১৯৭১ চনৰ চেপ্তেম্বৰ মাহৰ পৰা যোৱা প্ৰায় চাৰি বছৰ কাল ধৰি ভাৰতৰ প্ৰধান মন্ত্ৰীৰ বিৰুদ্ধে এলাহাবাদ উচ্চ ন্যায়ালয়ত এটা নিৰ্বাচনী গোচৰ চলি আছিল। ৰাইজ এই বিষয়ে প্ৰথম সচেতন হৈ উঠিল— যেতিয়া চলিত বছৰৰ ১৮ আৰু ১৯ মাৰ্চ তাৰিখে প্ৰধান মন্ত্ৰীয়ে এক নং বিবাদী পক্ষ হিচাপে বিচাৰকৰ সমুখত হাজিৰ হ'ব লগা হ'ল। দেশৰ প্ৰধান মন্ত্ৰীয়ে নিৰ্বাচনী গোচৰত বা আন যিকোনো কাৰণত বিচাৰালয়ত হাজিৰ হোৱাৰ এই দেশত এইটোৱেই প্ৰথম নজীৰ। সি যি কি নহওক, সেই দিন ধৰি দেশৰ ৰাজনীতি সচেতন প্ৰত্যেকজন ব্যক্তিয়েই এই গোচৰৰ চূড়ান্ত ৰায় ওলোৱাৰ দিনটোলৈ অধীৰ আগ্ৰহ আৰু উদগ্ৰ কৌতূহলেৰে অপেক্ষা কৰি আছিল,— কাৰণ এই ৰায়ৰ ওপৰত কেৱল এজন ব্যক্তি-বিশেষৰ ৰাজনৈতিক ভৱিষ্যত নিৰ্ভৰ কৰা নাছিল, তাতোকৈ বহুগুণে বেছি নিৰ্ভৰ কৰিছিল দেশখনৰ ৰাজনৈতিক ভৱিষ্যত। ভালৰ কাৰণেই হওক বা বেয়াৰ কাৰণেই হওক, যোৱা ছবছৰ কাল ধৰি শ্ৰীমতী গান্ধী আৰু কংগ্ৰেছ প্ৰায় সমাৰ্থক হৈ পৰিছিল, আৰু ৫৬ কোটি মানুহৰ বাস-ভূমি বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশখন শাসন কৰা বিশ্বৰ বৃহত্তৰ ৰাজনৈতিক দলটোৱে এগৰাকী মাত্ৰ ব্যক্তিৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিবলৈ আৰম্ভ কৰিছিল।... যিহওক, অৱশেষত ৰায় ঘোষণা কৰাৰ দিনটো আহি পালে, আৰু ভাগ্যৰ এনেকুৱাই পৰিহাস যে যি ১২ জুন তাৰিখে গুজৰাটৰ নিৰ্বাচনী ৰণক্ষেত্ৰত শ্ৰীমতী গান্ধীয়ে তেওঁৰ ৰাজনৈতিক জীৱনৰ প্ৰথম বৃহৎ পৰাজয়টো বৰণ কৰি ল'ব লগা হ'ল, ঠিক সেইদিনাই তেওঁৰ ৰাজনৈতিক জীৱনৰ বৃহত্তম সংকটটোও সংঘটিত হ'ল। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ বিচাৰপতি শ্ৰীজগমোহন লাল সিংহৰ কলমৰ এটা খোঁচত ভাৰতৰ সৰ্বময়ী কৰ্ত্ৰী আৰু নেত্ৰী শ্ৰীমতী গান্ধীৰ নিৰ্বাচন বাতিল হৈ গ'ল। কেৱল নিৰ্বাচন বাতিল হোৱাই

নহয়, অহা ছবছৰৰ কাৰণে তেওঁ নিৰ্বাচনত অংশ লোৱাৰ অধিকাৰো হেৰুৱালে। নিৰ্বাচনত দুৰ্নীতি-মূলক উপায় অৱলম্বন কৰাৰ অভিযোগত শ্ৰীমতী গান্ধীৰ নিচিনা ৰাজনৈতিক নেত্ৰীৰ নিৰ্বাচন বাতিল হোৱাটো যে কি সাংঘাতিক তাৎপৰ্য্যপূৰ্ণ ঘটনা, সেই বিষয়ে বহলাই কোৱাৰ প্ৰয়োজন নাই। ভাৰতৰ ৰাজনীতিত ইতিমধ্যেই এই ঘটনাই প্ৰবল ভূমিকম্পৰ সৃষ্টি কৰিছে।

অৱশ্যে এই কথা সঁচা যে এই গোচৰত বিচাৰপতি শ্ৰীসিংহৰ ৰায়েই শেষ কথা নহয়। উচ্চতম ন্যায়ালয়ত সেই ৰায়ৰ বিৰুদ্ধে আপীল কৰিবলৈ শ্ৰীমতী গান্ধীৰ অধিকাৰ আছে আৰু ইতিমধ্যে আপীল কৰাৰ যো-জাও কৰা হৈছে। কিন্তু যদি ধৰিও লোৱা হয় যে উচ্চতম ন্যায়ালয়ৰ ৰায় শ্ৰীমতী গান্ধীৰ সপক্ষে যাব পাৰে, তেতিয়া হ'লেও তেওঁ পূৰ্বৰ নৈতিক কৰ্তৃত্ব আৰু মৰ্যাদা পুনৰ ঘূৰাই পাবলৈ কেতিয়াও আশা কৰিব নোৱাৰে। কাৰণ বিচাৰপতি শ্ৰীসিংহই তেওঁৰ বিৰুদ্ধে দিয়া ঐতিহাসিক ৰায়ে ইতিমধ্যেই জন-মানসত শ্ৰীমতী গান্ধীৰ ভাব-মূৰ্তি বহু পৰিমাণে ম্লান কৰি পেলাইছে: কোৱা বাহুল্য মাথোন যে এই ভাব-মূৰ্তিয়েই হ'ল এজন গণতান্ত্ৰিক নেতাৰ প্ৰদান মূলধন। শ্ৰীমতী গান্ধীৰ নৈতিক মৰ্যাদা এনেভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ ফলত তেওঁৰ ভাব-মূৰ্তিৰ ওপৰত একান্তভাৱে নিৰ্ভৰশীল কংগ্ৰেছ দলো যে অদূৰ ভৱিষ্যতত বিভিন্ন প্ৰকাৰৰ ৰাজনৈতিক সমস্যা আৰু জটিলতাৰ সন্মুখীন হ'ব লাগিব, সেই কথাও স্বতঃসিদ্ধ।

কিন্তু আনহাতে যদি উচ্চতম ন্যায়ালয়ৰ ৰায়ো শ্ৰীমতী গান্ধীৰ বিপক্ষে যায়, তেতিয়া তাৰ নিকট আৰু সুদূৰ সম্ভাৱনাবোৰ এতিয়া কল্পনা কৰাও টান। শ্ৰীমতী গান্ধীৰ উত্তৰাধিকাৰী সুকলমে নিৰ্বচন কৰাটো সম্ভৱ হ'বনে? নতুন নেতৃত্বৰ অধীনত কংগ্ৰেছৰ ৰজনৈতিক প্ৰৱণতা, আদৰ্শ আৰু কাৰ্য্যসূচী অপৰিবৰ্তিত হৈয়েই থাকিবনে? ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত সি একো প্ৰভাৱ নেপেলাবনে? নতুন নেতাৰ অধীনত কংগ্ৰেছে এতিয়াও জনপ্ৰিয়তা আৰু ৰাজনৈতিক কৰ্তৃত্ব অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হ'বনে? যোৱা কেইবা বছৰ ধৰি সম্পূৰ্ণৰূপে নেতিবাচক 'ইন্দিৰা হটাওঁ' শ্লোগনৰ দ্বাৰা পৰিচালিত আৰু একত্ৰিত হোৱা বিৰোধী দলবোৰে পৰিবৰ্তিত পৰিস্থিতিত কি নতুন ভূমিকা ল'ব?..... ভাৰতৰ ৰাজনৈতিক ৰঙ্গমঞ্চৰ পৰা শ্ৰীমতী গান্ধীৰ সম্ভাব্য প্ৰস্থানে এনে এশ এবুৰি প্ৰশ্ন ৰাইজৰ মনত স্বাভাৱিকতেই জগাই তুলিছে আৰু দেশৰ ৰাজনৈতিক ভৱিষ্যত অনিশ্চিত কৰি তুলিছে।

এইবোৰ হ'ল ভৱিষ্যতৰ চিন্তা। কিন্তু ঠিক এই মুহূৰ্তত তাতোকৈ এটা জৰুৰী প্ৰশ্নই দেশবাসীৰ মন অধিকাৰ কৰি ৰহিছে। প্ৰশ্নটো হৈছে— ন্যায়ালয়ৰ ৰায় শ্ৰীমতী গান্ধীৰ বিপক্ষে যোৱাৰ পিছত তেওঁ প্ৰধান মন্ত্ৰীৰ পদত এদিনৰ কাৰণেও বাহাল থকাটো উচিতনে? এই প্ৰশ্নক কেন্দ্ৰ কৰি সমগ্ৰ দেশজুৰি এক প্ৰচণ্ড বিতৰ্কৰ সৃষ্টি হৈছে। শ্ৰীমতী গান্ধীৰ নিজৰ দল কংগ্ৰেছে স্বাভাৱিকতেই বিচাৰিছে যে উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্ত ঘোষিত নোহোৱা পৰ্য্যন্ত তেওঁ প্ৰধান মন্ত্ৰীৰ পদতেই থাকিব লাগে। আনহাতে বিৰোধী দলবোৰে বিচাৰে যে তেওঁ এই মুহূৰ্ততে পদত্যাগ কৰিব লাগে। স্বাভাৱিকতেই এই দুয়ো পক্ষৰ দাবী বহুলাংশে ৰাজনৈতিক উদ্দেশ্য-প্ৰণোদিত। কিন্তু এই ৰাজনৈতিক বিবেচনাৰ বহু উৰ্দ্ধত আছে এক নৈতিক বিচাৰৰ প্ৰশ্ন, আৰু সেই নৈতিক বিচাৰ আহিব লাগিব ভাৰতবৰ্ষৰ জনতাৰ হৃদয়ৰ পৰা। শ্ৰীমতী গান্ধীয়েও সেই বিচাৰ কাণ পাতি শুনিব লাগিব।

পাৰৰ বাঁহত মেকুৰী সোমালে যি অৱস্থা হয়, বিচাৰপতি শ্ৰীসিংহৰ ৰায়ে কংগ্ৰেছ মহলত ঠিক সেই অৱস্থাৰ সৃষ্টি কৰিছে। আতংকত দিশ-হাৰা হৈ তেওঁলোকে ধৰফৰাবলৈ আৰু হুলস্থুল কৰিবলৈ আৰম্ভ কৰিছে। কংগ্ৰেছৰ নিচিনা এটা বৃহৎ আৰু গৌৰৱময় ঐতিহ্য-মণ্ডিত ৰাজনৈতিক দলৰ নেতৃ-বৃন্দই ইয়াতকৈ অধিক ধৈৰ্য্যত বিচাৰ-বুদ্ধিৰ পৰিচয় দিয়া উচিত। এই কথা সম্পূৰ্ণ সঁচা যে ভাৰতৰ নিচিনা বিচিত্ৰ জনগোষ্ঠী বাস কৰা দেশ একেলগে এক গোট কৰি ধৰি ৰাখিব পৰা নেতা শ্ৰীমতী ইন্দিৰা গান্ধীৰ বাহিৰে সম্প্ৰতি আন কোনো নাই বুলিলেই হয়। ভাৰতীয় জন-মানসৰ ওপৰত নেহৰু পৰিয়ালৰ অব্যাহত আৰু অবিছিন্ন প্ৰভাৱৰ

এটা প্ৰধান কাৰণ হ'ল এয়েই যে গান্ধীজৰ বাহিৰে আন কোনো ভাৰতীয় নেতাই জৱাহৰলাল নেহৰু আৰু তেওঁৰ তনয়াৰ নিচিনাকৈ সম্পূৰ্ণ অৰ্থত জাতীয় নেতা নহয়। অন্যান্য নেতাসকলৰ নাম কোনো এক বিশেষ অঞ্চল, ধৰ্ম বা ভাষাৰ লগত অবিচ্ছেদ্যভাৱে জড়িত। কিন্তু নেহৰু পৰিয়ালে তেওঁলোকৰ পাৰিবাৰিক ইতিহাস, জীৱনধাৰা আৰু আধুনিক দৃষ্টি-ভংগীৰ সহায়েৰে সমগ্ৰ ভাৰতবৰ্ষকে আপোন কৰি ল'বলৈ সমৰ্থ হৈছে। বিভিন্ন সংখ্যালঘু সম্প্ৰদায়ে আজি কংগ্ৰেছৰ প্ৰতি যি আৱেগিক আনুগত্য অনুভৱ কৰে, তাৰ কৃতিত্ব কংগ্ৰেছৰ ৰাজনৈতিক চৰিত্ৰতকৈ নেহৰু পৰিয়ালৰ নেতৃত্বৰেই বেছি পৰিমাণে প্ৰাপ্য বুলি ক'ব পাৰি। জৱাহৰলাল নেহৰু বা তেওঁৰ কন্যাৰ নেতৃত্বৰ বিৰুদ্ধে সমালোচনাত পঞ্চমুখ হৈ উঠিবৰ সময়তো আমি সত্যৰ খাটিৰত এই কথা পাহৰি যোৱা উচিত নহয় যে ভাৰতৰ ৰাষ্ট্ৰীয় ঐক্য, আধুনিকতাবাদ আৰু ধৰ্ম-নিৰপেক্ষতা ঘাইকৈ এই নেহৰু পৰিয়ালৰ নেতৃত্বৰেই দান।

কিন্তু সেই বুলি এখন দেশ বা এটা জাতিৰ কাৰণে কোনো ব্যক্তিয়েই অপৰিহাৰ্য্য হ'ব নোৱাৰে— তেহেলৈ সেই ব্যক্তি যিমানেই বিৰাট বা মহৎ নহওকে কিয়। কেৱল এজন মাত্ৰ নেতাৰ ওপৰত চিৰকাল নিৰ্ভৰশীল হৈ চলিব খোজা মনোভাৱে এটা জাতিৰ নাবালকত্ব বা পঁয়ালগা অৱস্থাৰহে পৰিচয় দিয়ে। শ্ৰীমতী গান্ধীৰ বাহিৰে দেশক নেতৃত্ব দিব পৰা দ্বিতীয় এগৰাকী ব্যক্তি কংগ্ৰেছৰ মাজত নাই— এনে এটা ধাৰণা প্ৰচাৰ কৰি কংগ্ৰেছেও নিজৰ অন্তৰ্নিহিত দুৰ্বলতাৰহে পৰিচয় দিছে। পৃথিৱীৰ বৃহত্তম ৰাজনৈতিক দল ৰূপে পৰিগণিত কংগ্ৰেছে যদি আজি এজন মাত্ৰ নেতাৰ অবিহনেই অসহায় বোধ কৰি অনাথ শিশুৰ দৰে ৰাউচি জুৰি কান্দিবলৈ আৰম্ভ কৰে— তেন্তে তেনে এটা দলৰ ওপৰত ভাৰতৰ নিচিনা এখন বিশাল দেশে নিৰ্ভৰ কৰি চলিব পাৰে কেনেকৈ?

এই কথা ঠিক যে যি অপৰাধত নিৰ্বাচন বাতিল হ'ল, সি এটা সাংঘাতিক অপৰাধ নহয়। দুৰ্নীতি বুলিলে যি ধৰণৰ প্ৰসঙ্গ মানুহৰ মনলৈ আহে, ই ঠিক সেইধৰণৰ দুৰ্নীতিও নহয়। এক কথাত হয়তো ঠিক যে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ৰায় নিতান্তই যান্ত্ৰিক দৃষ্টিভংগীৰে দিয়া হৈছিল। বিশ্লেষণ কৰিবলৈ গ'লে শ্ৰীমতী গান্ধীয়ে এই মুহূৰ্তত পদত্যাগ কৰাৰো কোনো প্ৰয়োজন নাই। কিন্তু অপৰাধৰ গুৰুত্ব বা ন্যায়ালয়ৰ যান্ত্ৰিক বিশ্লেষণৰ দ্বাৰা শ্ৰীমতী গান্ধীয়ে তেওঁৰ কৰ্তব্য নিৰ্ণয় কৰিবলৈ গ'লে অতি ডাঙৰ ভুল কৰা হ'ব। শ্ৰীমতী গান্ধী প্ৰধান মন্ত্ৰী হৈ থকাটো কংগ্ৰেছ দলৰ কাৰণে তেওঁলোকৰ দৃষ্টিত দেশৰ কাৰণে অতি প্ৰয়োজনীয় কথা হ'ব পাৰে; কিন্তু ঠিক এই মুহূৰ্তত ততোধিক হাজাৰ গুণে বেছি প্ৰয়োজন হৈছে এক সুস্থ গণতান্ত্ৰিক পৰম্পৰাৰ সৃষ্টি কৰা, আইনৰ শাসনৰ প্ৰতি উচিত সন্মান প্ৰদৰ্শন কৰা, সংকীৰ্ণ ব্যক্তিগত বা দলীয় স্বাৰ্থৰ উৰ্দ্ধলৈ উঠি এক মহৎ নৈতিক আদৰ্শ স্থাপন কৰা। ইয়াকে কৰিবলৈ হ'লে শ্ৰীমতী গান্ধীয়ে সন্মানেৰে আৰু বিনা দ্বিধাই পদত্যাগ কৰাৰ বাহিৰে দ্বিতীয় কোনো পথ নাই। যি বন্ধ্যা 'পপুলিজম' গণবাদৰ সহায়ত কংগ্ৰেছে যোৱা ছ বছৰ ধৰি কৃত্ৰিম জনপ্ৰিয়তা সৃষ্টি কৰিছিল তাৰ সহায়তেই শ্ৰীমতী গান্ধীয়ে ন্যায়ালয়ৰ নিৰ্দেশ অমান্য কৰি প্ৰধান মন্ত্ৰীৰ পদ আকুৰি থাকিবলৈ হ'লে ই হ'ব ভাৰতীয় গণতন্ত্ৰৰ প্ৰতি আটাইতকৈ ডাঙৰ বিশ্বাসঘাতকতা। শ্ৰীমতী গান্ধীয়ে সম্প্ৰতি মহাভাৰতত কথিত এক বৃহৎ ধৰ্ম-সংকটৰ সন্মুখীন হৈছে। এই সংকটৰ সময়ত তেওঁ নিজৰ কৰ্তব্যাকৰ্তব্য নিৰ্ণয় কৰি তেওঁক সততে পৰিবেষ্টন কৰি থকা ক্ষুদ্ৰ বুদ্ধিৰ চাহেবসকলৰ চিঞৰ-বাখৰলৈ কাণ দিয়াতকৈ অন্তৰ আৰু বিবেকৰ নিৰ্দেশৰ প্ৰতি কাণ দিয়াটোহে উচিত কথা হ'ব। এনে এটা নৈতিক সিদ্ধান্তৰ দ্বাৰাইহে তেওঁ নিজৰ নৈতিক কৰ্তব্য কিছু পৰিমাণে ঘূৰাই পাব পাৰে। আন কোনো প্ৰকাৰেই নহয়।

ইতিহাস চেতনা

জীৱনৰ জটিলতা বা ঘটনাৰ ঘন-ঘটাই সাধাৰণ মানুহক যেতিয়া বিমূঢ় কৰি তোলে, তেতিয়া সত্য-নিষ্ঠ লাভ কৰাৰ এটাই মাত্ৰ উপায় আছে। সেইটো হৈছে, সমসাময়িক ঘটনাবলীক নিৰ্লিপ্ত দৃষ্টিৰে বিৰাট ঐতিহাসিক পটভূমিত চাবলৈ চেষ্টা কৰা। সমাজত যেতিয়া বিভিন্ন শক্তিৰ সংঘাত হয় আৰু ক্ষমতাৰ কাৰণে ক্ষমাহীন সংগ্ৰাম চলে, তেতিয়া শক্তিমানে কেৱল নিজৰ বিকট চিংকাৰ আৰু পদ-দৰ্পৰ সহায়েৰেই সাধাৰণ মানুহৰ বুকু কঁপাই তুলি তেওঁলোকৰ পক্ষলৈ টানিবলৈ চেষ্টা কৰে। তেওঁলোকে কেতিয়াও সাধাৰণ মানুহক নিৰলে চিন্তা কৰিবলৈ অৱসৰ বা অৱকাশ নিদিয়ে; অবিৰাম চিংকাৰ, গৰ্জন আৰু শক্তি প্ৰদৰ্শনৰ দ্বাৰা এনে এটা পৰিবেশ সৃষ্টি কৰা হয়— য'ত সৰ্বসাধাৰণ মানুহে নিজৰ যুক্তি আৰু বিবেকৰ দ্বাৰা চালিত হ'বলৈ পাহৰি ডেমাগগিৰ তাড়নাত নিজকে সৰ্বব্যাপী আবেগ আৰু উত্তেজনাৰ প্লাৱনত উটুৱাই দিবলৈ বাধ্য হয়। ইতিহাসত বাৰম্বাৰ এনে ঘটনা ঘটি আহিছে। যেতিয়া এনে অৱস্থাৰ সৃষ্টি হয়, তেতিয়াই সাধাৰণ চিন্তাশীল মানুহে নিজকে অতি নগণ্য আৰু অকিঞ্চিতকৰ বুলি অনুভৱ কৰিবলৈ আৰম্ভ কৰে। তেওঁক ভাবিবলৈ বাধ্য কৰা হয় যে ব্যক্তি হিচাপে তেওঁৰ কোনো মূল্য নাই, তেওঁ জনসমুদ্ৰৰ এটোপাল পানী মাত্ৰ। তেওঁৰ নিজৰ বিচাৰ-বুদ্ধিৰ কোনো মূল্য নাই, শক্তিমানৰ বিপুল গৰ্জনৰ তুলনাত সি এটা অস্ফুট গুমুনিয়াহ মাত্ৰ। চিন্তাশীল আৰু মৰ্যাদাবোধসম্পন্ন মানুহৰ জীৱনত ইয়াতকৈ অধিক কৰুণ আৰু দুখজনক অভিজ্ঞতা নিশ্চয় আন একো হ'ব নোৱাৰে। জীৱনৰ এইবোৰ বিষাদময় মুহূৰ্তত তেওঁৰ সান্ত্বনাৰ একমাত্ৰ স্থল হ'ল ইতিহাস চেতনা।

প্ৰত্যেক স্থিতধী আৰু চিন্তাশীল মানুহেই সততে এটা কথা মনত ৰখা উচিত যে আটাইতকৈ ডাঙৰ মাতষাৰেই আটাইতকৈ শুদ্ধ মাত নহ'বও পাৰে। বৰং অনেক সময়ত তাৰ বিপৰীতটোহে সত্য যেন দেখা যায়। যেতিয়াই কোনো মানুহে নৈতিক দুৰ্বলতা অনুভৱ কৰে আৰু বিশ্বাসৰ জোৰ হেৰুৱাই পেলায় তেতিয়াই তেওঁৰ কণ্ঠস্বৰো ক্ৰমাৎ ডাঙৰ হৈ গৈ থাকে। যুক্তি আৰু বিবেকৰ কণ্ঠস্বৰ সদায় শান্ত আৰু বিনম্ৰ; আবেগ আৰু উত্তেজনাৰ কণ্ঠস্বৰ সমুদ্ৰৰ গৰ্জনৰ দৰে বিশাল। কোনো গান্ধী, বুদ্ধ বা লেনিনে কেৱল ডেমাগগিৰ জোৰেৰে জনসমুদ্ৰত জোৱাৰ তুলিবলৈ চেষ্টা নকৰে। তেওঁলোকৰ শান্ত কণ্ঠস্বৰে প্ৰত্যেক ব্যক্তিৰ হৃদয়ত সত্য আৰু বিবেকৰ দীপ-শিখা জ্বলাই তোলে; জনপুঞ্জৰ মাজত সি কেতিয়াও উত্তেজনাৰ দাবানল সৃষ্টি নকৰে। যিসকল লোকে জন-সমুদ্ৰত জোৱাৰ তুলিবলৈ চেষ্টা কৰে, তেওঁলোকক সেই জোৱাৰেই ফেনৰ দৰে উটুৱাই লৈ ফুৰি অৱশেষত কোনোবা পাৰত আচাৰ মাৰি নিশ্চিহ্ন কৰি দিয়ে। সমসাময়িক ঘটনাৱলী যিসকল লোকে ইতিহাসৰ বিৰাট পটভূমিত বিচাৰ কৰি চায়, কেৱল তেওঁলোকেহে এই কথাৰ সত্যতা উপলব্ধি কৰিব পাৰে।

কেৱল এনে এটা ঐতিহাসিক দৃষ্টিভংগীয়েহে সৰ্বব্যাপী উন্মাদনাৰ সময়ত আমাক মানসিক ভাৰসাম্য আৰু আত্মসম্মান ৰক্ষা কৰি চলাত সহায় কৰিব পাৰে। কাণৰ কাষতে যেতিয়া হাজাৰটা কামানে একেলগে গৰ্জন কৰি উঠে, তেতিয়া মহাপ্ৰলয়ৰ দিন উপস্থিত হোৱা যেন লাগে, পৃথিৱীৰ আন সকলো শব্দ তল পৰি যায়। কিন্তু দূৰৰ পৰা শুনিলে সেই শব্দই আমাৰ মনত কৌতূহলৰ বাহিৰে আন একো অনুভূতিৰ উদ্ৰেক নকৰে। ঠিক সেইদৰে বিবোৰ সমসাময়িক ঘটনাৱলীৰ গৰ্জন বা চিংকাৰে আমাৰ চেতনাক সম্পূৰ্ণ আচ্ছন্ন কৰি পেলায়, সেইবোৰৰো তাৎপৰ্য ঐতিহাসিক পৰিপ্ৰেক্ষিতত বিচাৰ কৰি চালেহে ধৰা পৰে। কিয়া এটা

শব্দ কাণৰ কাষত ডাঙৰকৈ বাজিল বুলিয়েই কেতিয়াও ধৰি ল'ব নালাগে যে পৃথিৱীত সেইটোৰ বাহিৰে দ্বিতীয় কোনো শব্দ নাই। সৰলমতি সাধাৰণ মানুহে তেনে কাণ তাল মৰা শব্দ শুনি ভয়ত হুৱাদুৱা লগায় বা মানসিক ভাৰসাম্য হেৰুৱাই পেলায়। কিন্তু স্থিৰমতি চিন্তাশীল মানুহে ধৈৰ্য ধৰি অপেক্ষা কৰে; তেওঁ জানে যে সেই কাণ-ফলা কু-শ্ৰাব্য গৰ্জনৰ শেষ তৰংগ বিলীন হৈ যোৱাৰ পিছত আকৌ নামি আহিব পৰিচিত নীৰৱতা আৰু শান্তি। যিবোৰ চিএৰ-বাখৰ সমসাময়িক মানুহৰ কাণত এদিন সমুদ্ৰৰ গৰ্জন বুলি অনুভূত হৈছিল, কালৰ দূৰত্বই পিছলৈ প্ৰমাণ কৰে যে সেইবোৰ হয়তো ন-পানী পাই উত্ৰাৱল হোৱা ভেকুলীৰ টোৰটোৰণিৰ বাহিৰে আন একো নাছিল। দেৱদত্ত সংগীত আৰু ভেকুলীৰ টোৰটোৰণিৰ পাৰ্থক্য বুজাতো ইতিহাস চেতনাই আমাক সহায় কৰিব পাৰে।

চুম্বক যেনেকৈ লোক আকৰ্ষণ কৰে, শক্তিমানে তেনেকৈ মো-চাহেবৰ দলক আকৰ্ষণ কৰি নিজৰ চাৰিওফালে থুপ খোৱায়। মো-চাহেবৰ অবিহনে শক্তিমানৰ অস্তিত্ব কল্পনা কৰাই অসম্ভৱ। চুম্বকৰ সংস্পৰ্শলৈ আহি তেওঁলোকে কিছু ক্ষণস্থায়ী শক্তি আহৰণ কৰে। সেই শক্তিৰ জোৰতে তেওঁলোক ম'ৰা চৰাইৰ পাখি পিন্ধা কাউৰীৰ দৰে সাধাৰণ মানুহৰ চকুত চমক লগাবলৈ চেষ্টা কৰে। কিন্তু তেওঁলোক যে আচলতে ম'ৰা চৰাই নহয়, কাউৰীহে সেই কথা বুজিবলৈ কিছু সময়ৰ দৰকাৰ হয়। ফৰাচী সম্ৰাট দ্বাদশ লুইয়ে গোটেই দিনটো ৰাজসভাত মো-চাহেবৰ দ্বাৰা পৰিবেষ্টিত হৈ থাকি ৰাতি শুবলৈ যোৱাৰ সময়তো এই মো-চাহেবৰ দলৰ পৰা ৰক্ষা পোৱা নাছিল। কোনজনে মমবাতিডাল দাঙি ধৰি সম্ৰাটৰ শোৱনি কোঠাৰ বাটটো দেখুৱাই দিব পাৰে, তাৰ কাৰণেই তেওঁলোকৰ মাজত তীব্ৰ প্ৰতিযোগিতা চলিছিল। যিজনে ঠেলা-হেঁচা কৰি ৰাতিটোৰ কাৰণে এই দুৰ্লভ সন্মান অৰ্জন কৰিব পাৰিছিল তেওঁ নিজৰ পৰিয়ালৰ দৃষ্টিতো আছিল এজন বীৰ; ৰাজসভাত আছিল আটাইতকৈ ঈৰ্ষাৰ পাত্ৰ, সমসাময়িক কালৰ মানুহৰ দৃষ্টিত একোটা কুটুবমিনাৰ। কিন্তু আজি আমি জানো যে সমসাময়িক ফৰাচী সমাজৰ চকুত চমক লগোৱা আৰু বুকুত ত্ৰাসৰ সঞ্চাৰ কৰা এই মানুহবোৰ আচলতে আছিল অতি নীচাশয় মো-চাহেব মাত্ৰ। দ্বাদশ লুইৰ দলে পৃথিৱীৰ পৰা বিদায় ল'ব পাৰে, কিন্তু মো-চাহেবৰ দল ৰক্তবীজৰ দৰে অজৰ-অমৰ। কিন্তু ইতিহাসে আমাক এই শিক্ষাই দিয়ে যে জিলিকা বস্তু মাত্ৰেই যেনেকৈ সোণ নহয়, তেনেকৈ সমসাময়িক মানুহৰ চকুত চমক লগোৱা বা বুকুত ত্ৰাসৰ সঞ্চাৰ কৰা মানুহ মাত্ৰেই বীৰ নহয়। সময়ে প্ৰমাণ কৰে যে তেওঁলোকৰ বেছিভাগেই মো-চাহেব মাত্ৰ। আত্মসন্মানবোধ থকা কোনো সংস্কৃতিবান মানুহেই এই মো-চাহেবসকলৰ ৰঙা চকুলৈ ভয় নকৰে। কাৰণ তেওঁলোকে জানে যে এই ৰঙা চকুৰ অন্তৰালত আছে একোখন কাপুৰুষ হৃদয়, আছে গোপন অপৰাধৰ গ্লানি, আছে বিৰাট হীনমান্যতা।

শাসন ক্ষমতা যাৰ হাতত পুঞ্জীভূত হৈছে, তেওঁৰ মূৰতেই যে সমস্ত জ্ঞান আৰু বিচাৰ-বুদ্ধিও পুঞ্জীভূত হ'ব লাগিব এনে কোনো কথা নাই। কিন্তু ঠিক তেনে এক ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ বহুতো শক্তিমান লোকে সমাজত সাময়িক বিপৰ্যয় ঘটোৱাৰ উদাহৰণ ইতিহাসত বিৰল নহয়। এনে এক উন্মাদনাৰ সময়ত সমাজৰ শুভবুদ্ধি আৰু বিবেকক ৰক্ষা কৰিব পাৰে কেৱল সেইসকল লোকে, যিসকলে শক্তিমানৰ দপদপনিত সন্ত্ৰস্ত হৈ নিজৰ চিন্তা কৰাৰ অধিকাৰ বিসৰ্জন নিদিয়ে, যিসকলে বুকুৰ তেজ খুৱাই হ'লেও নিজৰ অহংকাৰক লালন কৰে, যিসকলে ইতিহাসৰ গোহৰত্ত সকলো কথা বিচাৰ কৰি চাব পাৰে।

আঁদ্রে মালৰোৰ দৃষ্টিত জৱাহৰলাল নেহৰু

[বিখ্যাত ফৰাচী লেখক আৰু বুদ্ধিজীৱী আঁদ্রে মালৰোৰ আত্মজীৱনী 'এন্টি মেমোৱাৰ্'ৰ প্ৰায় এক তৃতীয়াংশ ঠাই জৱাহৰলাল নেহৰু আৰু ভাৰতৰ কথাই জুৰি আছে। নেহৰুৰ প্ৰতি তেওঁৰ শ্ৰদ্ধাৰ অন্ত নাই। তেওঁৰ মতে—ৰাজনৈতিক আদৰ্শবাদৰ নেহৰুৰ সমকক্ষ এজন শক্তিশালী প্ৰবক্তা পৃথিৱীৰ ইতিহাসত দ্বিতীয় এজন নাই। আত্মজীৱনীখনৰ আন এঠাইত তেওঁ কৈছে যে নেহৰুৱে যদিও গান্ধীৰ নিচিনাকৈ ভাৰতৰ মাজত নিজকে বিলীন কৰি দিয়া নাছিল, তথাপিও 'তেৱেঁই আছিল ভাৰত" (He was India); যদিও ভাৰত আৰু নেহৰুৰ মাজত এক ৰহস্যময় দূৰত্ব বিৰাজ কৰিছিল, যদিও নেহৰুৱে গঙ্গা নদীৰ স্বৰ্গীয় পবিত্ৰতাত বিশ্বাস কৰা নাছিল, তথাপি তেওঁ 'গঙ্গা নদীক হৃদয়ত ধাৰণ কৰি লৈ ফুৰিছিল।' তলত মালৰোৰ আত্মজীৱনীৰ অংশ বিশেষৰ মুকলি অনুবাদ প্ৰকাশ কৰা হ'ল।]

..... নেহৰুৱে তাৰ আগদিনা প্ৰায় পাঁচ লাখ মানুহৰ আগত এটা বক্তৃতা দিছিল। দুপৰীয়াৰ আহাৰ খোৱাৰ আগতে মই এই বিষয়ে তেওঁৰ লগত আলোচনা আৰম্ভ কৰিলোঁ। মোৰ কথাৰ উত্তৰত তেওঁ গান্ধী প্ৰসঙ্গ উলিয়ালে। একনায়কত্ববাদী ৰাষ্ট্ৰবোৰৰ বাগ্মীসকলৰ বক্তৃতা শুনি শুনি অভ্যস্ত হৈ থকা ইউৰোপে এই কথা বিশ্বাস কৰিবলৈ টনা পায় যে গান্ধীয়ে তেওঁৰ মাতষাৰ সামান্য ডাঙৰ নকৰাকৈয়ো বিপুল জনতাক তেওঁৰ কথাত পটিয়ন নিয়াব পাৰে। মোৰ ধাৰণা ৰাজনৈতিক উত্তেজনা সৃষ্টিকাৰী সকলোতকৈ মহান ধৰ্ম-প্ৰচাৰকসকলৰ লগত হে গান্ধীৰ মিল বেছি; 'ভিজেল'ৰ প্ৰাঙ্গনত চেণ্ট বানাৰ্ডে ভাষণ দি [illegible] কোনেও তেওঁৰ কথা ভালকৈ শুনিবলৈ পোৱা নাছিল; তথাপি সেই মানুহবোৰ ক্ৰুছবিদ্ধ হ'বলৈ আগবাঢ়ি [illegible]

নেহৰুৱে ক'লে— "আমাৰ দেশত জনতা আছে গুৰু দৰ্শন পাবলৈ। গুৰুৱে কথা নক'[illegible]। মানুহে তেওঁৰ পৰা আশা কৰে কেৱল কিবা এটা স্পষ্ট আশীৰ্বাদ। গান্ধী বিখ্যাত হোৱাৰ বহুদিনৰ আগতেই গোখলেই তেওঁৰ বিষয়ে কৈছিল যে ধূলিৰ পৰাও বীৰ সৃষ্টি কৰিব পৰা ক্ষমতা গান্ধীৰ আছে। গান্ধীয়ে মানুহক দিছিল আত্ম-বিশ্বাস। তেওঁ সদায় কৈছিল— "তুমি যাক প্ৰশংসা কৰা, তুমি নিজেও সেইটোৱেই হোৱা।" তেওঁৰ শ্ৰোতাসকল স্বাধীনতা সংগ্ৰামত স্বেচ্ছাসেৱক হৈছিল; কিন্তু তেওঁলোক কেৱল স্বেচ্ছাসেৱকেই নাছিল, তাতোকৈ যেন কিবা অলপ বেছি আছিল। অসহযোগ আন্দোলন আৰু অস্পৃশ্যতাৰ বিৰুদ্ধে সংগ্ৰামৰ মূল আছিল একেটাই। গান্ধীয়ে কৈছিল যে সংসদী কাম-কাজ (Parliamentary work) এটা জাতিৰ প্ৰথম কাম নহয়, ই আচলতে আটাইতকৈ শেষত কৰিবলগীয়া কামহে। তেওঁ আছিল এজন বিদ্ৰোহী প্ৰজা, কিন্তু এজন হিন্দু হিচাপে, এজন জাতীয়তাবাদী, শান্তিবাদী বা বিপ্লৱী হিচাপেও তেওঁ আছিল কাৰো লগত খাপ নোখোৱা, নন-কনফৰমিষ্ট....।"

"তেওঁক এজন শত্ৰুৱে হত্যা কৰিছিল।" মই কলোঁ— "কিন্তু তেওঁৰ মৃত্যুত সমস্ত দেশবাসী ম্ৰিয়মাণ।"

"তেওঁৰ হত্যাকাৰীৰ ছবি আজিও বহুত মানুহৰ ঘৰে ঘৰে দেখা যায়। প্ৰতিক্ৰিয়াশীল লোকসকলক আমি এতিয়াও নিৰ্মূল কৰিব পৰা নাই।"

সংসদ ভৱনত নেহৰুৱে যোক ক'লে- "ক্ষত্ৰিয়ৰ কাৰণে টেংক আৰু এৰোপ্লেন, ব্ৰাহ্মণৰ কাৰণে আইন প্ৰণয়ণ আৰু দেশ-শাসন।"

লগতে তেওঁ যোগ দিলে— "আৰু অন্যান্য বহুতো কাম ...."

আৰম্ভণিতে নেহৰুৰ যি বক্তৃতাৰ কথা উল্লেখ কৰা হৈছে- সি আছিল সৰলতম ভাষাত, প্ৰায় কথা

কোবাৰ ভংগীত দিয়া। তেওঁ আৰম্ভ কৰিছিল— "আপোনাসকলে জানে যে মই ৰাজনৈতিক ক্ষেত্ৰত নিজকে ব্যস্ত ৰাখোঁ। বিজ্ঞানে যি ধ্বংস মাতি আনিছে, ৰাজনীতিয়ে তাৰ বিৰুদ্ধে যুঁজ কৰিবলৈ চেষ্টা কৰা উচিত; মানৱজাতিয়ে যি হিংসাৰ বীজ নিজৰ মাজত বহন কৰি ফুৰিছে, ৰাজনীতিয়ে তাৰ বিৰুদ্ধে যুঁজ কৰা উচিত। কিন্তু কিমান বছৰ ধৰি, কিমান পুৰুষ ধৰি আমি এই কাম কৰাত ব্যৰ্থ হৈছোঁ। মোৰ নিচিনা মানুহে বা মোৰ বৃত্তিৰ মানুহে যিবোৰ উপায়েৰে এই কাম কৰিবলৈ চেষ্টা কৰি আহিছোঁ, সেইবোৰ উপায়েৰে এই কাম সম্ভৱ নহ'ব; নিশ্চয় আন বেলেগ কিবা উপায় অৱলম্বন কৰিব লাগিব। সদিচ্ছাসম্পন্ন মানুহবোৰ একে ঠাইত মিলিত হয়, তেওঁলোকে এখন সাহসী নতুন জগত, সাহসী ঐক্যবদ্ধ জগতৰ কথা কয়, সকলোবোৰ জাতি ঐক্যবদ্ধ হোৱাৰ কথা কয়। বন্ধুত্ব আৰু সহযোগিতাৰ কথা কয়। এই সদিচ্ছা মূল্যহীন, নিষ্ফল, কাৰণ বাস্তৱ সমস্যাবোৰ সমাধান কৰিব পৰা বাস্তৱ কামৰ লগত তাৰ কোনো সম্পৰ্ক নাই। আমি এখন স্বপ্নৰ জগতত চিৰকাল চিন্তা কৰি থাকিব নোৱাৰোঁ। আনহাতে মাটিত ভৰি খোপনি পুতি ৰখাটো আমাৰ কাৰণে যেনেকৈ অতি প্ৰয়োজনীয় কথা, ঠিক তেনেকৈ আমাৰ মূৰবোৰো যাতে মাটিতে লাগি নাথাকে তালৈ লক্ষ্য ৰখাটোও সমানেই প্ৰয়োজনীয় কথা।

পৃথিৱীৰ ইতিহাসত ৰাজনৈতিক আদৰ্শবাদৰ আটাইতকৈ শক্তিশালী প্ৰবক্তাজনৰ মুখৰ পৰা এনে এযাৰ কথা ওলোৱাটো নিশ্চয় এটা অতি মন কৰিবলগীয়া কথা।

"মানৱজাতিৰ মাজত এটা অতি অপৰিহাৰ্য্য গুণৰ অভাৱ ঘটিছে। সেইটো কি? এক ধৰণৰ আধুনিক মানুহ। বিজ্ঞানে যে জীৱনটো থান-থিত লগাব নোৱাৰে সেই কথা এতিয়া স্পষ্ট হৈ পৰিছে। জীৱনটোক গঢ় দিয়ে মূল্যবোধে। সেই মূল্যবোধ আমাৰ নিজৰ লগতে জাতিবোৰৰ, আৰু খুব সম্ভৱ সমগ্ৰ মানৱ সমাজৰো। জেনেৰেল ব্ৰাড়লেই ১৯৪৮ চনত দিয়া বক্তৃতাটো আপোনাৰ মনত আছে?..." আমি পৰমাণুৰ গোপন ৰহস্য আৱিষ্কাৰ কৰিছোঁ, কিন্তু চাৰমণ অন দি মাউণ্ট পৰিত্যাগ কৰিছোঁ; মানুহ মৰাৰ কলা-বিদ্যা আমি জানো, কিন্তু জীয়াই থকাৰ কলা-বিদ্যা আমি নাজানো।" এই বিষয়ত মই আকৌ হিন্দু হৈ পৰোঁ। যৌৱন কালত মই ৰাজনীতিক আধ্যাত্মিক গুণেৰে বিভূষিত কৰাৰ কথা কৈছিলো।.... আপোনাৰ মতে পশ্চিমৰ মহত্তম মূল্যবোধ এতিয়া কি?

"মূল্যবোধৰ কথা আমি বহুবচনতেই কোৱাটো বোধহয় বেছি ভাল, নহয়নে? পশ্চিমৰ মূল্যবোধে জীৱনক ক্ৰমাগতভাৱে বেছিকৈ ৰক্ষা কৰিব খোজে আৰু ক্ৰমাগতভাৱে ইয়াক কমকৈ নিয়ন্ত্ৰণ কৰিব খোজে। কমিউনিষ্ট গণৰাষ্ট্ৰবোৰৰ কথা মই নাজানো। পুঁজিবাদী ৰাষ্ট্ৰ বা মুক্ত পৃথিৱীত ব্যক্তিগত স্বাধীনতাই হ'ল মহত্তম বা সৰ্বোচ্চ মূল্যবোধ।"

বিষণ্ণ হাঁহিৰে সৈতে এই ৰাষ্ট্ৰনেতাজন, এই অনা-ইংৰাজ 'ভদ্ৰলোকজন'— যদিও তেওঁ গান্ধীৰ দৰে ভাৰতৰ মাজত নিজকে বিলীন কৰি দিয়া নাছিল, তথাপি তেৱেঁই আছিল ভাৰত। যদিও তেওঁৰ আৰু ভাৰতৰ মাজত এক ৰহস্যময়তা বিৰাজ কৰিছিল, যদিও তেওঁ গঙ্গা নদীৰ স্বকীয় পবিত্ৰতাত বিশ্বাস কৰা নাছিল, তথাপি তেওঁ গঙ্গা নদীক ধাৰণা কৰিছিল নিজৰ হৃদয়ৰ মাজত। তেওঁ বহুতো কিতাপ-পত্ৰ লিখিছিল, সেই কাৰণে তেওঁ এজন বুদ্ধিজীৱী ৰূপে জনাজাত আছিল। কিন্তু তেওঁ বক্তৃতাবোৰৰ সম্পৰ্ক আছিল কেৱল কামৰ জগতৰ লগত। দুই-এটা পাৰিবাৰিক স্মৃতিৰ বাহিৰে তেওঁৰ জীৱনৰ অন্যান্য সকলো স্মৃতি হ'ল কেৱল দুৰ্দমনীয় কামৰ স্মৃতি। তেওঁ চিন্তাৰ মৌলিকতাৰ প্ৰকাশ কৰিছিল আৰু চিত্ৰপ্ৰেমিকে এখন সুন্দৰ চিত্ৰ অভিবাদন জনোৱাৰ দৰে তেওঁ এটি মিচিকিয়া হাঁহিৰে সকলো মৌলিক চিন্তাকে অভিবাদন জনাইছিল। কিন্তু সাধাৰণ বুদ্ধিজীৱীয়ে মৌলিক চিন্তাক কেৱল প্ৰশংসাহে কৰে; নেহৰুৱে কিন্তু কামৰ লগত সম্পৰ্ক থকা মৌলিক চিন্তাক প্ৰকৃততে উপভোগ কৰিছিল।

শুদ্ধ ভাষা

কথাষাৰ শুনাত অতি কঢ় আৰু অপ্ৰিয় হ'লেও এটা কথা নকৈ উপায় নাই যে আজিকালিৰ বহুতো শিক্ষিত অসমীয়া লোকেই অসমীয়া ভাষাটো শুদ্ধকৈ ক'ব বা লিখিব নোৱাৰে। যোৱা কিছুদিন ধৰি অসমীয়া ভাষা-শিক্ষাৰ মান ইমান তললৈ নামি গৈছে যে অসমীয়া ভাষা-সাহিত্যত বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ উপাধি লৈ ওলাই অহা কোনো কোনো ডেকা-গাভৰুৱেও শুদ্ধ অসমীয়া লিখিব নোৱাৰে। যিসকল লোকৰ বাতৰি কাকত বা আলোচনীৰ সম্পাদক হোৱাৰ সৌভাগ্য (বা দুৰ্ভাগ্য) হৈছে, তেওঁলোকে এই সমস্যাটোৰ তীব্ৰতা আন সকলো লোকতকৈ বেছি বুজি পায়।

আজিকালি অসমত যিমান কলেজ আছে, ত্ৰিশ-চল্লিশ বছৰৰ আগতে সিমানবোৰ পাঠশালাও বোধ নহয় নাছিল। আজিকালি গোটেই ৰাজ্যতে যিমানবোৰ গ্ৰেজুৱেট বা এম. এ. পাছ মানুহ ওলাইছে, ত্ৰিশ-চল্লিশ বছৰৰ আগতে ছাত্ৰ বৃত্তি পাছ কৰা মানুহৰ সংখ্যাও তাতকৈ কমহে আছিল। অথচ যোৱা ত্ৰিশ বছৰৰ অসমীয়া গদ্যৰ বিবৰ্তন যিসকল লোকে ভালকৈ অনুধাৱন কৰিছে, তেওঁলোকে এটা কথা স্বীকাৰ কৰিব যে আজিকালিৰ বি. এ., এম. এ. পাছ মানুহতকৈ ত্ৰিশ-চল্লিশ বছৰৰ আগৰ ছাত্ৰ বৃত্তি পাছ মানুহে বহুত বেছি শুদ্ধ আৰু সুন্দৰ অসমীয়া লিখিছিল। অসমীয়া ভাষাজ্ঞানৰ মান কিয় এনেভাৱে ক্ৰমে ক্ৰমে তললৈ নামি আহিছে, সেই কথা কেৱল শিক্ষাব্ৰতীয়েই নহয়— সকলো সমাজহিতৈষী লোকেই দকৈ ভাবি [illegible] সময় হ'ল। কাৰণ ভাষা কেৱল মানুহৰ ব্যৱহাৰিক প্ৰয়োজনৰ আহিলা মাত্ৰই নহয়, সভ্য সমাজত ভাষাই [illegible] মানুহৰ নিয়তি। মানুহৰ সাংস্কৃতিক বিকাশ সম্পূৰ্ণৰূপে ভাষাৰ ওপৰত নিৰ্ভৰশীল। সৰ্বসাধাৰণ মানুহৰ ধাৰণা যে ভাষা ভাব-প্ৰকাশৰ বাহন বা মাধ্যম মাত্ৰ। কিন্তু আচলতে ভাষাৰ দায়িত্ব তাতোকৈ বহু গুণে বেছি। ভাষাক বাদ দি ভাবৰ কোনো অস্তিত্ব থাকিব নোৱাৰে। ভাষাই কেৱল ভাবক প্ৰকাশেই নকৰে, ভাবৰ জন্মও দিয়ে ভাষাইহে। গতিকে যি মানুহৰ ভাষা যিমান চহকী, শব্দ-ভঁৰাল যিমান ডাঙৰ, তেওঁৰ ভাব-সম্পদো সেই অনুপাতেই বেছি হ'বলৈ বাধ্য। এই সত্যটোকে এজন ভাষাবিদে প্ৰকাশ কৰিছে এনেভাৱে— 'শব্দৰ অবিহনে তুমি কোনো ধৰণৰ বিচাৰ বা সিদ্ধান্তত উপনীত হ'ব নোৱাৰা। এজন পিয়ানোবাদকৰ মূৰত পৃথিৱীৰ সুন্দৰতম সুৰৰ কল্পনা ঠাহ খাই থাকিব পাৰে, কিন্তু তেওঁৰ পিয়ানোত যদি মাত্ৰ পাঁচটাহে 'কী (Key)' থাকে, তেন্তে তেওঁ তেওঁৰ কল্পনাত থকা সুৰৰ এক সহস্ৰাংশও কেতিয়াও প্ৰকাশ কৰিব নোৱাৰিব।' দাৰ্শনিক উইটগেনষ্টিনে এই কথাষাৰকে আৰু বেছি শক্তিশালীভাৱে প্ৰকাশ কৰিছে— 'My language is my Uni-verse'- অৰ্থাৎ মোৰ ভাষাই হ'ল মোৰ বিশ্বজগত। প্ৰত্যেকটো শব্দই হ'ল একোটা প্ৰতীক। যি যিমান শব্দ জানে, অৰ্থাৎ শব্দৰ অৰ্থপূৰ্ণ ব্যৱহাৰ জানে, জীৱন আৰু জগতৰ বিষয়ে তেওঁৰ জ্ঞানো সিমানেই প্ৰসাৰিত হয়।

চিন্তাশীলতাৰ লগত শব্দ-জ্ঞান বা ভাষা-জ্ঞানৰ সম্পৰ্ক অতি ঘনিষ্ঠ। যি মানুহৰ ভাষাৰ ওপৰত দখল নাই, তেওঁ কেতিয়াও শুদ্ধভাৱে, মৌলিকভাৱে আৰু প্ৰণালীবদ্ধভাৱে চিন্তা কৰিব নোৱাৰে। যেতিয়া এটা জাতিৰ বা এখন সমাজৰ বেছিভাগ শিক্ষিত মানুহেই শুদ্ধকৈ নিজৰ ভাষাটো ক'ব বা লিখিব নোৱাৰে, তেতিয়া স্বতঃসিদ্ধভাৱেই এই কথা প্ৰমাণিত হয় যে সেই সমাজত লেখকসকলৰ চিন্তা কৰাৰ অভ্যাস হ্ৰাস

হৈছে বা সমূলি লোপ পাইছে। ব্যতিক্ৰম সদায় থাকে, কিন্তু ব্যতিক্ৰমৰ কথা বাদি দি এই কথা অস্বীকাৰ কৰিবৰ উপায় নাই যে সাধাৰণভাবে আধুনিক অসমীয়া সমাজত মৌলিক চিন্তা-চৰ্চা প্ৰায় নোহোৱাই হৈ আহিছে। মৌখিক আলাপ-আলোচনা বা লিখা-পঢ়া কৰা সকলোবে মাজত দেখা যায় কেৱল অধীত বিদ্যাৰ যান্ত্ৰিক পুনৰাবৃত্তি অথবা ধাৰ কৰা চিন্তাৰ প্ৰতিধ্বনি। সামগ্ৰিকভাবে অসমীয়া সমাজত মৌলিক চিন্তা-চৰ্চাৰ এই দৈন্যৰ এটা প্ৰধান কাৰণ নিশ্চয় অসমীয়া ভাষা-জ্ঞানৰ দৈন্য। ভালকৈ চিন্তা কৰাৰ আগতে ভাষাটো নিশ্চয় ভালকৈ আয়ত্ত কৰিব লাগিব। কিন্তু যিখন সমাজত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাটো শুদ্ধকৈ লিখিব নোৱাৰাকৈয়ে সেই ভাষাত বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ উপাধি লাভ কৰিব পাৰে, সেই সমাজৰ ভৱিষ্যৎ সম্পৰ্কে দুশ্চিন্তা নকৰাকৈ থাকিব নোৱাৰি। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হ'ব যে ভাষা-শিক্ষা বা ভাষা-জ্ঞানৰ মান কেৱল অসমতেই নিম্নগামী হোৱা নাই। কেইবছৰমানৰ আগতে গ্ৰেট ব্ৰিটেইনত চলোৱা এটা সমীক্ষাৰ পৰা দেখা গৈছিল যে তাৰ বেছিভাগ হাইস্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ ইংৰাজী ভাষা লিখিব নোৱাৰে; তেওঁলোকৰ হাতত পৰি ইংৰাজী ভাষাই এটা কিম্ভুত কিমাকাৰ ৰূপ লৈছে। কিন্তু এই ঘটনাৰ পৰা আমি কোনো সান্ত্বনা আহৰণ কৰিব নোৱাৰোঁ। এটা পুখুৰীৰ পানী দূষিত কৰা যিমান সহজ, সাগৰৰ অপাৰ জলৰাশিক দূষিত কৰা সিমান সহজ নহয়। তদুপৰি ইংৰাজী শিক্ষাবিদসকল ইংৰাজী ভাষা-শিক্ষাৰ নিম্নগামী মানৰ বিষয়ে সততে সচেতন, আৰু তেওঁলোকে তাৰ প্ৰতিকাৰৰ কাৰণেও খৰতকীয়া কাৰ্যকৰী ব্যৱস্থা হাতত লৈছে। কিন্তু অসমত এই সমস্যাৰ বিষয়ে কোনোবা যে সচেতন হৈছে এনে লক্ষণ এতিয়ালৈকে দৃষ্টিগোচৰ হোৱা নাই।

যিমানদূৰ মনত পৰে, চলিহা মন্ত্ৰীসভাৰ দিনত অসমীয়া ভাষা-শিক্ষাৰ মান উন্নত কৰিবলৈ পৰামৰ্শ দিবৰ কাৰণে এখন কমিটি গঠন কৰি দিয়া হৈছিল। কিন্তু কাম আৰম্ভ নকৰাকৈয়ে সেই কমিটিৰ অকাল মৃত্যু ঘটিল। এতিয়া অসমীয়া ভাষা-শিক্ষাৰ মান উন্নত কৰাৰ প্ৰয়োজন আগতকৈ হাজাৰগুণে বাঢ়িছে, কাৰণ এতিয়া বিশ্ববিদ্যালয়ৰ উচ্চস্তৰ পৰ্যন্ত ই শিক্ষাৰ মাধ্যমৰূপে গৃহীত হৈছে। আমি পৰামৰ্শ দিব খোজোঁ যে শিক্ষা-সংস্কৃতিৰ লগত জড়িত সকলোবোৰ চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানে (বিশেষকৈ বিশ্ববিদ্যালয় দুখন আৰু মাধ্যমিক শিক্ষা পৰিষদ' এটা Sample survey বা নমুনা সমীক্ষাৰ দ্বাৰাই বিভিন্ন পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ অসমীয়া ভাষা-জ্ঞানৰ নমুনাৰ বুজ ল'বলৈ চেষ্টা কৰিব লাগে, আৰু সমস্যাটোৰ বিষয়ে সম্পূৰ্ণৰূপে অৱহিত হোৱাৰ পিছত অসমীয়া ভাষা-শিক্ষাৰ মান উন্নত কৰিবলৈ প্ৰয়োজনীয় সকলো ব্যৱস্থা ল'ব লাগে।

জৰুৰী অৱস্থাৰ প্ৰত্যাহ্বান

পৰিকল্পনা আয়োগৰ অসমীয়া মুখপত্ৰ 'পয়োভৰা' এবছৰ আগতেই মই 'অৰ্থনৈতিক গণতন্ত্ৰ' নামৰ এটি প্ৰবন্ধ লিখিছিলোঁ। আকাশ-বাণী গুৱাহাটী কেন্দ্ৰই সেই প্ৰবন্ধটোকে কথিকা ৰূপত প্ৰচাৰো কৰিছিল। এই প্ৰবন্ধত দেশৰ অৰ্থনৈতিক অৱস্থাৰ এটি চিত্ৰ ডাঙি ধৰি সামৰণিত মই কৈছিলোঁ যে দেশৰ কোটি কোটি দৰিদ্ৰ জনতাৰ অৰ্থনৈতিক মুক্তি সাধনৰ কাৰণে যদি চৰকাৰে এনে ব্যৱস্থা ল'ব লগা হয়, যাৰ ফলত আমাৰ নিচিনা তথাকথিত বুদ্ধিজীৱীৰ বাক-স্বাধীনতা নিয়ন্ত্ৰিত কৰিব লগাও হয়— ব্যক্তিগতভাৱে মই তাত আপত্তি নকৰোঁ। মানুহৰ জীয়াই থকাৰ অধিকাৰতকৈ মোৰ তথাকথিত বাক-স্বাধীনতাৰ মূল্য বেছি নহয়। মোৰ স্বাধীনতা নিয়ন্ত্ৰিত কৰাৰ ফলত যদি সমাজৰ বেছি ভাগ মানুহৰ মঙ্গল হয়, তেন্তে মই স্বাধীনতা বিসৰ্জন দিবলৈ প্ৰস্তুত।

দেশৰ বৰ্তমান পৰিস্থিতিত এই কথাবাৰ দোহাৰি কোৱাৰ প্ৰয়োজন হৈছে। 'দেশৰ জৰুৰী অৱস্থা' ঘোষণা কৰাটো উচিত হৈছে নে অনুচিত হৈছে, এই বিষয়ে আলোচনা কৰাৰ এতিয়া কোনো প্ৰয়োজন বা অৱকাশ নাই। বৰং আমেৰিকা যুক্তৰাষ্ট্ৰৰ তৃতীয় ৰাষ্ট্ৰপতি টমাছ জেফাৰ্ছনে তেওঁৰ উদ্বোধনী ভাষণত কোৱা এষাৰ কথা এই প্ৰসঙ্গতে স্মৰণযোগ্য— "I shall often go wrong through defect of judgement. When right, I shall often be thought wrong by those whose positions will not command a view of the whole ground."

অৰ্থাৎ "ভুল বিচাৰ-বুদ্ধিৰ বশৱৰ্তী হৈ মই কেতিয়াবা ভুল কামো কৰিব পাৰোঁ, কিন্তু মই যেতিয়া শুদ্ধ কাম কৰিম, তেতিয়াও কিছুমান মানুহে মোক ভুল বুলি ভাবিব— কাৰণ সমগ্ৰ পৰিস্থিতিটো অৱলোকন কৰিবলৈ মোৰ যিখিনি সুবিধা আছে, তেওঁলোকৰ সেইখিনি সুবিধা নাই।"

'জৰুৰী অৱস্থা' এটা স্বাভাৱিক অৱস্থা নহয়। এই অৱস্থা বলবৎ থকাৰ সময়ত দেশৰ নাগৰিকক তেওঁলোকৰ কিছুমান মৌলিক অধিকাৰ ভোগ কৰাৰ পৰা সাময়িকভাৱে বঞ্চিত কৰা হয়। ধৰি লোৱা হওক যে ই এটা সাময়িক অসুবিধা। কিন্তু মানুহৰ যেতিয়া প্ৰতিভাৰ পৰীক্ষা হয়, তেতিয়া মানুহে প্ৰত্যেকটো অসুবিধা বা বিপৰ্য্যয়কে নিজৰ সুবিধালৈ ৰূপান্তৰিত কৰিব পাৰে। এই দৃষ্টিভংগীৰ বিচাৰ কৰি চালে দেখা যায় যে জৰুৰী অৱস্থাৰ ইতিবাচক দিশৰ পৰিমাণো তেনেই নগণ্য নহয়। জৰুৰী অৱস্থা ঘোষণা কৰাৰ প্ৰায় লগে লগেই প্ৰধান মন্ত্ৰীয়ে এখন একৈশদফীয়া অৰ্থনৈতিক কাৰ্য্যসূচী ঘোষণা কৰিছে। তেওঁ লগে লগে এই কথাও কৈছে যে কেইই সপ্তাহমানৰ ভিতৰতে এই কাৰ্য্যসূচী কাৰ্য্যকৰী কৰা হ'ব। যদি জৰুৰী অৱস্থাৰ সুযোগ লৈ নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্য হ্ৰাস কৰিব পৰা হয়, মাটিহীনক খেতিৰ মাটি আৰু গৃহহীনক ঘৰৰ মাটি দিব পৰা হয়, বন্ধকীয়া গোলামক দাসত্ব বন্ধনৰ পৰা মুক্ত কৰিব পৰা হয়, চহৰীয়া সম্পত্তিৰ সৰ্বোচ্চ সীমা ধাৰ্য্য কৰি উদ্বৃত্ত সম্পত্তি চৰকাৰী বুলি ঘোষণা কৰিব পৰা হয়, কৰ ফাঁকি দি সমাজদ্ৰোহিতা কৰা লোকসকলক শাস্তি দিব পৰা হয়, কামত ফাঁকি দিয়া চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক কাম কৰিবলৈ বাধ্য কৰিব পৰা হয়, তেন্তে 'স্বাধীনতা আৰু গণতন্ত্ৰ'ৰ বিমূৰ্ত ধাৰণা সম্পৰ্কে তৰ্ক-বাগীশসকলে যিমানেই তৰ্ক কৰি নাথাকক কিয়— দেশৰ শতকৰা নব্বৈজন সাধাৰণ দুখীয়া মানুহে এই 'জৰুৰী অৱস্থা'ক আশীৰ্বাদ বুলিয়েই গণ্য কৰিব। সমাজদেহৰ কৰ্কটৰোগ সদৃশ উগ্ৰপন্থী সাম্প্ৰদায়িক অনুষ্ঠানবোৰক যদি এই জৰুৰী অৱস্থাৰ সুযোগ লৈহে বে-আইনী বুলি নিষিদ্ধ কৰিব পৰা হ'ল, তেন্তে ইয়াকো 'জৰুৰী অৱস্থা'ৰ এটা যুগমীয়া সুফল বুলি গণ্য কৰিব লাগিব।

প্ৰতিশ্ৰুতি মতে নিৰ্দিষ্ট সময়ৰ ভিতৰত কাম যাতে হৈ উঠে, তাৰ কাৰণে এতিয়া চৰকাৰে সৰ্ব-শক্তি নিয়োগ কৰিব লাগিব। জৰুৰী অৱস্থা চিৰস্থায়ী নহয়, কিন্তু জৰুৰী অৱস্থাৰ সুযোগ লৈ কৰা কামবোৰৰ সুফল যদি চিৰস্থায়ী হয়, তেন্তে ভৱিষ্যতে মানুহে এই অৱস্থা কেৱল Necessary evil বুলি গণ্য নকৰি এটা ফলপ্ৰসূ অভিজ্ঞতা বুলিয়ে গণ্য কৰিব।

আমি যি বিচাৰিছিলোঁ

চৰকাৰে যিবোৰ কাম কৰিব লাগে বুলি আমি বহুদিন সকীয়াই আহিছিলোঁ, এতিয়া দেশত জৰুৰী অৱস্থা বলবৎ কৰাৰ পিচত সেইবোৰ কাম এটা এটাকে' হ'ব ধৰা দেখি স্বাভাবিকতে আমি অতি সুখী আৰু আশান্বিত হৈছোঁ। উদাহৰণ স্বৰূপে— মন্ত্ৰী-এম. এল. এ. আৰু এম. পি. সকলে তেওঁলোকৰ সা-সম্পত্তিৰ তালিকা দাখিল কৰাৰ ওপৰত আমি খুব জোৰ দিছিলোঁ। সুখৰ কথা যে জৰুৰী অৱস্থা চলি থকা কালছোৱাত কৰিব খোজা কামবোৰৰ ভিতৰত এই কামো বিশেষ গুৰুত্ব আৰু অগ্ৰাধিকাৰ দিয়া হৈছে। উত্তৰ প্ৰদেশৰ চৰকাৰে অৱশ্যে জৰুৰী অৱস্থা ঘোষিত হোৱাৰ আগতেই জাৰী কৰিছিল যে মন্ত্ৰী আৰু এম. এল. এ. সকলে সম্পত্তিৰ তালিকা দাখিল কৰিব লাগিব। বাকীবোৰ ৰাজ্যয়ো এতিয়া এই ব্যৱস্থা হাতত লৈছে। এই কথাই প্ৰমাণ কৰে যে জৰুৰী অৱস্থাই কেৱল জনসাধাৰণৰ মনতে নহয়, দেশৰ শাসক আৰু নেতাসকলৰ মনতো কৰ্তব্যবোধ আৰু নৈতিক চেতনা যোগাই তুলিছে। ই নিশ্চয় আশাৰ কথা।

দেশৰ প্ৰশাসন ব্যৱস্থাক নিৰ্মল আৰু দুৰ্নীতিমুক্ত কৰি তুলিবলৈ গ্ৰহণ কৰা ব্যৱস্থাবোৰো সমানেই আশাপ্ৰদ। কেন্দ্ৰৰ ৰাজ্যিক গৃহ মন্ত্ৰী শ্ৰীওম মেহেতাই ১৮ জুলাই তাৰিখে দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় চোৰাংচোৱা বিভাগ আৰু দুৰ্নীতি নিবাৰণী বিভাগৰ বিষয়াসকলৰ এখন সভাত কৈছিল— "বাতৰি কাকতত দুৰ্নীতিৰ বিষয়ে ওলোৱা খবৰবোৰ অতিৰঞ্জিত হ'ব পাৰে, কিন্তু দুৰ্নীতি যে আছে সেই কথাও স্বীকাৰ কৰি ল'বই লাগিব। কিছুমান চৰকাৰী বিভাগৰ কেতবোৰ বিশেষ স্তৰত এই দুৰ্নীতি অধিক ব্যাপক।" আমাৰ কাকতখনৰ নিচিনা কিছুমান বাতৰি কাকতে কোনো তাত্বিক বিতৰ্কত লিপ্ত হোৱা বা বিশেষ ৰাজনৈতিক আন্দোলনৰ পোষকতা কৰাৰ পৰিবৰ্তে জনসাধাৰণৰ জীৱন সহনীয় কৰি তুলিব পৰা এই সৰু সৰু কথাবোৰৰ ওপৰত বেছি জোৰ দিছিল। আমি বহুদিন ধৰি বিচাৰি অহা কামটো এতিয়া হ'ব ধৰা দেখি আমি বিশেষ আনন্দ পাইছোঁ। কিন্তু কেন্দ্ৰীয় মন্ত্ৰী মেহেতাই নিজে স্বীকাৰ কৰিছে যে কিছুমান চৰকাৰী বিভাগৰ কেতবোৰ বিশেষ স্তৰত এই দুৰ্নীতি অতিশয় ব্যাপক। গতিকে এই দুৰ্নীতিৰ মূলচ্ছেদ কৰা অভিযানো নিশ্চয় ব্যাপক আৰু দীঘলীয়া হ'ব লাগিব। এইবাৰ যাতে বিহ গছৰ কেৱল ডাল-পাত নাকাটি একেবাৰে তাৰ গুৰি উভালি পেলোৱা হয়, ৰাইজে সেইটোকে চাবলৈ আশা কৰে। এইখিনিতেই আমি ৰাজ্য চৰকাৰক এটা বিশেষ অনুৰোধ কৰিব খোজোঁ। আমাৰ কাকতত ১৯৬৮ চনৰ পৰা এতিয়ালৈকে বহুতো দুৰ্নীতিৰ অভিযোগ প্ৰকাশ কৰা হৈছিল। চৰকাৰে সেইবোৰ অভিযোগৰ সত্যাসত্য নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিলে সম্প্ৰতি আৰম্ভ কৰা দুৰ্নীতি বিৰোধী অভিযানত বিশেষ সহায় হ'ব বুলি আমি ভাবোঁ।

জৰুৰী অৱস্থা প্ৰথম ঘোষণা কৰাৰ সময়ত ইয়াৰ প্ৰতি জনসাধাৰণৰ প্ৰতিক্ৰিয়া যেয়েই নহওক, এতিয়া ইয়াৰ নানাবিধ সুফল দেখি ৰাইজে জৰুৰী অৱস্থাক এটা আশীৰ্বাদ বুলিয়েই গণ্য কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু চৰকাৰেও ৰাইজৰ পৰা আশীৰ্বাদ পাবলৈ হ'লে এই সুফলবোৰ স্থায়ী কৰিবলৈ চেষ্টা কৰিব লাগিব। বিখ্যাত ঐতিহাসিক যদুনাথ সৰকাৰে আন এটা প্ৰসংগত কৈছিল যে বৰষুণ পৰিলে নৈ বা সাগৰৰ পাৰৰ বালিবোৰ গোট মাৰি একাকাৰ হয়, কিন্তু ৰ'দ দিয়াৰ লগে লগেই সেইবোৰ আকৌ আগৰ অৱস্থালৈ ঘূৰি যায়। ঠিক সেইদৰেই বিপদৰ সময়ত মাৰাঠাসকল একগোট হৈছিল, বিপদ পাৰ হোৱাৰ লগে লগেই তেওঁলোক পুনৰ ছেদেলি-ভেদেলি হৈ পৰিল। এই উপমাটোকে সাল-সলনি কৰি আমি ক'ব খোজোঁ যে জৰুৰী অৱস্থাই আমাৰ মনত কৰ্তব্যবোধ, নিয়মানুবৰ্তীতাৰ ভাব আৰু দক্ষতাৰ সৃষ্টি কৰিছে, জৰুৰী অৱস্থা উঠি যোৱাৰ লগে লগেই সেইবোৰ পুনৰ অদৃশ্য হ'বলৈ হ'লে তাতকৈ দুখৰ কথা আন একোৱেই নাথাকিব। এই সুফলবোৰ স্থায়ী কৰিব পাৰিলেহে জৰুৰী অৱস্থা সাৰ্থক হ'ব।

আৰ্ণল্ড টয়ন্‌বী

যোৱা ২২ অক্টোবৰ তাৰিখে বিশ্ববিশ্ৰুত ঐতিহাসিক আৰ্ণল্ড টয়ন্‌বীৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ।

টয়ন্‌বীৰ 'A study of History' বা 'ইতিহাসৰ অধ্যয়ন' বিংশ শতাব্দীৰ এখন অন্যতম মহৎ গ্ৰন্থ বুলি পৰিগণিত হৈছে। ১৯২২ চনত এখন কাগজৰ আধা পৃষ্ঠাত তেওঁ প্ৰথমে কিতাপখনৰ খচৰা টোকা এটা লিখিবলৈ আৰম্ভ কৰে। তাৰ পিছত সুদীৰ্ঘ ন বছৰ ধৰি গৱেষণা আৰু ৰচনা কৰাৰ পিচত ১৯৩৪ চনত কিতাপখনৰ প্ৰথম তিনিটা খণ্ড প্ৰকাশ কৰা হয়। পিছৰ তিনিটা খণ্ড লিখি শেষ কৰিবলৈ তেওঁক আৰু পাঁচ বছৰ সময় লাগে। এই তিনিটা খণ্ড ১৯৩৯ চনত প্ৰকাশ কৰা হয়। এই ছয়টা খণ্ডৰ সৰ্বমুঠ পৃষ্ঠা সংখ্যা ৩৪৮৮। তাৰ পিছত পঞ্চাশৰ দশকত শেষৰ দুটা খণ্ড প্ৰকাশ পায়। টয়ন্‌বীৰ সুদীৰ্ঘ ৮৬ বছৰীয়া জীৱনৰ ৬৫ টা বছৰ এই বিৰাট ইতিহাস গ্ৰন্থ ৰচনাৰ কামতেই অতিবাহিত হয়।

বিখ্যাত Saturday Review Literature পত্ৰিকাই টয়ন্‌বীৰ কিতাপখনৰ বিষয়ে মন্তব্য কৰি লিখিছিল— "মানুহৰ জ্ঞান-ভাণ্ডাৰলৈ বৰঙণি হিচাবে এই গ্ৰন্থ আমাৰ যুগৰ আটাইতকৈ প্ৰভাৱশালী গ্ৰন্থ সমূহৰ ভিতৰত অন্যতম।" সকলো জ্ঞানপিপাসু লোকেই এই মন্তব্যৰ লগত একমত।

এই বৃহদাকাৰ গ্ৰন্থখন প্ৰকাশ হৈ ওলোৱাৰ পিছত পণ্ডিতসকলৰ বাহিৰে সৰ্বসাধাৰণ পাঠকৰ মনত ই বিশেষ কৌতূহল সৃষ্টি কৰিব পৰা নাছিল। কিন্তু ১৮৪৬ চনত ডি. চি. ছমাৰভেল নামৰ এজন ঐতিহাসিকে দুটা খণ্ডত ইয়াৰ এটা সংক্ষিপ্ত সাৰ প্ৰকাশ কৰে, আৰু লগে লগে সি বেষ্ট ছেলাৰত পৰিণত হয়। [illegible] কিতাপৰ দোকানতো ছমাৰভেলৰ এই কিতাপখন পোৱা যায় আৰু ইয়াৰ ক্ৰেতাৰ সংখ্যাও নগণ্য নহয়।

টয়নবীৰ এই ইতিহাস গ্ৰন্থৰ অসামান্য জনপ্ৰিয়তা আৰু প্ৰভাৱৰ কাৰণ কি? যোৱা ৬০০০ বছৰৰ ২৬ টা বিভিন্ন সভ্যতাৰ জন্ম, বিকাশ আৰু বিনাশৰ গতি-প্ৰকৃতি অধ্যয়ন আৰু বিশ্লেষণ কৰি টয়নবীয়ে এই গ্ৰন্থত ইতিহাসৰ এটা নতুন ব্যাখ্যা দাঙি ধৰিছে। তেওঁৰ মতে মাত্ৰ একেটা সূত্ৰৰ দ্বাৰাই পৃথিবীৰ সকলো সভ্যতাৰ বিকাশ আৰু বিনাশৰ কাৰণ নিৰ্ণয় কৰিব পাৰি। টয়নবীৰ এই সূত্ৰ Challenge and response অৰ্থাৎ 'প্ৰত্যাহ্বান আৰু প্ৰত্যুত্তৰ' নামেৰে বিখ্যাত। টয়নবীয়ে অজস্ৰ তথ্য-পাতিৰ সহায়েৰে বিশ্লেষণ কৰি দেখুৱাইছে যে প্ৰত্যেক সমাজেই পদে পদে নানা ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়; এইবোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ গৈ যিবোৰ সমাজে বুদ্ধিমত্তা আৰু প্ৰাণ-শক্তিৰ পৰিচয় দিয়ে, সেইবোৰ সমাজ বিকাশৰ পথত আগবাঢ়ি গৈ থাকে। যেতিয়াই কোনো এখন সমাজ বা কোনো এটা সভ্যতাই এনেবোৰ প্ৰত্যাহ্বানৰ সন্মুখত পৰাজয় স্বীকাৰ কৰে, তেতিয়াই সেই সমাজ বা সভ্যতাৰ পতন হয়।

টয়ন্‌বীয়ে তেওঁৰ বিৰাট গ্ৰন্থত এই ঘটনাৰ অজস্ৰ উদাহৰণ দি তেওঁক ইতিহাসৰ ব্যাখ্যা সত্য বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে। উদাহৰণ স্বৰূপে, উত্তৰ আফ্ৰিকাৰ মৰুভূমি এসময়ত অতি জনপূৰ্ণ সাৰুৱা অঞ্চল আছিল। পশু-চিকাৰ কৰি তেওঁলোকে জীৱন ধাৰণ কৰিছিল। কিন্তু কালক্ৰমত ঠাইডোখৰ শুকাই মৰুভূমিত পৰিণত হ'বলৈ ধৰিলে, জীৱ-জন্তুবোৰ আন ঠাইলৈ পলাই গ'ল, আৰু তাৰ অধিবাসীবোৰ জীৱন-মৰণ সমস্যাৰ সন্মুখীন হ'ল।

এওঁলোকৰ কিছুমানে এই নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব নোৱাৰিলে। জীৱ-জন্তু নোহোৱা হৈ যোৱা সত্ত্বেও তেওঁলোকে পূৰ্বাপৰ বৃত্তি সলনি কৰিব নোৱাৰি চিকাৰজীৱী হৈয়েই থাকিল; ফলত তেওঁলোকৰ কিছুমান মৰি নিশ্চিহ্ন হ'ল, জীয়াই থকাবোৰ আদিম বন্য অৱস্থাতেই থাকি গ'ল।

কিন্তু তাৰে আন কিছুমান এই প্ৰত্যাহ্বানৰ উপযুক্ত প্ৰত্যুত্তৰ দিবলৈ সক্ষম হ'ল আৰু নিজৰ জীৱন-ধাৰাৰ আমূল পৰিবৰ্তন কৰি পেলালে। তেওঁলোকে দলে দলে নীল নদীৰ উপত্যকালৈ প্ৰব্ৰজন কৰি তাৰ বিৰাট অৰণ্য পৰিষ্কাৰ কৰি নতুন বসতি স্থাপন কৰিলে, পিতনি আৰু জলাতক ঠাইবোৰৰ পৰা পানী উলিয়াই দি সেইবোৰ খেতিৰ উপযোগী কৰি তুলিলে, নীল উপত্যকাক এটা বিৰাট শস্যক্ষেত্ৰত পৰিণত কৰিলে। ফলস্বৰূপে এইসকল লোকেই বিকাশ আৰু সমৃদ্ধিৰ পথত আগুৱাই গৈ গৌৰৱমণ্ডিত মিশৰীয় সভ্যতা সৃষ্টি কৰিলে। এই সভ্যতা ৪০০০ বছৰ জীয়াই থাকিল।

এইবোৰ প্ৰত্যাহ্বান যে সদায় একেধৰণৰ হয় সেইটো নহয়। একোখন সমাজে বিভিন্ন প্ৰকাৰৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হ'ব পাৰে। তদুপৰি একোটা প্ৰত্যাহ্বানৰ সফলভাৱে সন্মুখীন হোৱাৰ পিছতো সি আকৌ ন ন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। উদাহৰণ স্বৰূপে প্ৰাচীন এথেন্‌চৰ মাটি আছিল অসাৰুৱা, কিন্তু মাটিৰ পৰিমাণ অনুপাতে জন-সংখ্যা আছিল অতি বেছি। তেওঁলোকে সাগৰ পাৰ হৈ উপনিবেশ স্থাপন কৰি সেই সমস্যাৰ সমাধান কৰিলে। কিন্তু তাৰ ফলত এটা নতুন ৰাজনৈতিক সমস্যাৰ সৃষ্টি হ'ল, অৰ্থাৎ নতুন প্ৰত্যাহ্বান আহিল। স্পাৰ্টা আৰু অন্যান্য আশ্ৰিত ৰাজ্যবোৰৰ লগত এথেন্‌চৰ বিবাদৰ সূত্ৰপাত হ'ল। এথেন্‌চে এই প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিব নোৱাৰিলে; ফলত গৰিমামণ্ডিত গ্ৰীক সভ্যতাৰ পতন আৰম্ভ হ'ল।

টয়নবীৰ মতে যেতিয়াই এখন সমাজ বা এটা সভ্যতাই ক্লান্তি বা আত্ম-সন্তুষ্টিৰ বশৱৰ্তী হৈ বাহিৰৰ বা ভিতৰৰ পৰা অহা প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ অসমৰ্থ হৈ পৰে, তেতিয়াই সেই সমাজ বা সভ্যতা ধ্বংসপ্ৰাপ্ত হয়।

টয়নবীয়ে এই কথাও বিশ্বাস কৰে যে যি কোনো সভ্যতাৰে প্ৰাণ-শক্তি আৰু কৰ্ম-প্ৰেৰণাৰ উৎস হ'ল সৃষ্টিশীল ব্যক্তিসকল বা এনে সৃষ্টিশীল গঠিত সংখ্যালঘু গোটবোৰ।

টয়নবীয়ে ভাবে যে পাশ্চাত্য সভ্যতাই যোৱা ৫০০ বছৰ ধৰি ক্ৰমে ক্ৰমে বিনাশৰ পথলৈ আগবাঢ়িছে আৰু ইয়াৰ সমুখত দেখা দিয়া ভয়ংকৰ প্ৰত্যাহ্বানবোৰৰ সন্মুখীন হ'ব পৰাৰ জোখেৰে প্ৰাণ-শক্তি এই সভ্যতাৰ নোহোৱা হৈ আহিছে।

টয়নবীৰ মত সকলোৰে গ্ৰহণযোগ্য হওক বা নহওক, এই বিষয়ে কোনো সন্দেহ নাই যে তেওঁ বিংশ-শতাব্দীৰ জ্ঞান-পিপাসু মানুহক বহু নতুন চিন্তাৰ খোৰাক দিছে। A study of History মানুহৰ জ্ঞান-সাধনা, পাণ্ডিত্য আৰু শ্ৰম-শক্তিৰ এটা যুগমীয়া নিদৰ্শন হৈ ৰ'ব।

কিতাপৰ দোকানত

কিতাপৰ দোকানত প্ৰতিদিনে কিছুসময় কটোৱাটো এটা অতি বিচিত্ৰ আৰু শিক্ষাপ্ৰদ অভিজ্ঞতা। এখন চহৰৰ কিতাপৰ দোকানৰ সংখ্যা সেই চহৰৰ নাগৰিকসকলৰ মানসিক উৎকৰ্ষ বা তাৰ অভাৱৰ এটা মাপ-কাঠি বুলি ধৰিব পাৰি। প্ৰায় চাৰি লাখ মানুহ থকা গুৱাহাটী চহৰত স্কুল-কলেজৰ পাঠ্য-পুথিৰ বাহিৰে অন্যান্য কিতাপ বিক্ৰী কৰা দোকান চাৰি-পাঁচখন মানহে আছে। সেই কেইখন দোকানতো কিতাপৰ থাকৰ প্ৰায় আধা ঠাই অধিকাৰ কৰি থাকে পৰ্ণগ্ৰাফী আৰু ক্ৰাইম-থ্ৰীলাৰজাতীয় কিতাপে। সেইবোৰ দোকানত বীভৎসতম ভংগীৰ উলংগ নাৰী-দেহৰ ভীৰ ঠেলি চুকে-কোণে ধূলি-ধুসৰিত হৈ পৰি থকা ডষ্টয়েভস্কি, লাগেৰ্ক্ভিস্ত বা টমাছ মানক বিচাৰি বাহিৰ কৰাটো কিমান কষ্টসাধ্য কথা সেই কথা ভুক্তভোগীৰ বাহিৰে আন কোনেও কল্পনা কৰিব নোৱাৰে।

টমাচ মানৰ কথা উঠোঁতেই আৰু এটা কথা মনত পৰিল। কিতাপৰ দোকানী আৰু লোহা-লক্কৰ বা আলু-বেঙেনাৰ দোকানীৰ মাজত এটা পাৰ্থক্য থকা উচিত। যিটো বস্তুৰ ব্যৱসায় কৰি তেওঁলোকে জীৱন নিৰ্বাহ কৰে, তাৰ বিষয়ে তেওঁলোকৰ এটা ন্যূনতম ধাৰণা থাকে বুলি গ্ৰাহকে নিশ্চয় আশা কৰে। দৰাচলতে কিতাপৰ দোকানীয়ে গ্ৰাহকক কিতাপৰ বিষয়ে প্ৰয়োজনীয় খা-খবৰ আৰু দিহা-পৰামৰ্শ দি সহায় কৰিব পৰা উচিত। কিন্তু গুৱাহাটীৰ এটা (বা অসমৰ অন্যান্য চহৰবো) প্ৰায়বোৰ কিতাপৰ দোকানীৰ পৰা সেইখিনি আশা কৰাটো মাছ-কণী বিচৰাৰ সমতুল্য। কেইদিনমানৰ আগতে গুৱাহাটীৰ এখন ডাঙৰ কিতাপৰ দোকানলৈ টমাচ মানৰ 'দি মেজিক মাউণ্টেইন' নামৰ কিতাপখন বিচাৰি গ'লোঁ। কিতাপৰ থাকবোৰ অন্নতন্নকৈ চায়ো ক'তো কিতাপখন দেখা নাপাই, দোকানীজনক সুধিলোঁ— 'অৰ্ডাৰ দিলে আপুনি কিতাপখন অনাই দিয়াব পাৰিবনে?' 'ডি মেজিক মাউণ্টেইন'ৰ মেজিক শব্দটো শুনিয়েই দোকানীজনে ক'লে— "চেষ্টা কৰি চাব পাৰোঁ। কিন্তু মেজিকৰ বিষয়ে কেৱল সেইখন কিতাপেই আপোনাক কিয় লাগে? আমাৰ দোকানত মেজিকৰ বিষয়ে আন আন বহুতো কিতাপ আছে।"

অৱশ্যে কেৱল অশিক্ষিত কিতাপৰ দোকানীক উপহাস কৰি লাভ কি? কেই বছৰমানৰ আগতে যেতিয়া গুণাৰ মূৰডালৰ 'ডি এচিয়ান ড্ৰামা' নামৰ কিতাপখনৰ অৰ্থনীতিৰ কিতাপখন হঠাতে খুব বিখ্যাত হৈ পৰিছিল। তেতিয়া গুৱাহাটীৰ কোনো কিতাপৰ দোকানতে কিতাপখন বিচাৰি নাপাই এজন অধ্যাপকক গুৱাহাটী বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীৰ পৰা কিতাপখন আনি দিবলৈ অনুৰোধ কৰিলোঁ। কেইদিনমানৰ পিচত তেওঁ খবৰ দিলে যে লাইব্ৰেৰীত কিতাপখন নাই। বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীলৈ এতিয়াও মৰডালৰ 'এচিয়ান ড্ৰামা' কিতাপখন অহা নাই? মই আচৰিত হৈ প্ৰশ্ন কৰিলোঁ। অধ্যাপকজনে উত্তৰ দিলে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীৰ কৰ্মচাৰীসকলে বোলে 'ড্ৰামা' অৰ্থাৎ নাটকৰ চেকশ্যনত তন্ন-তন্নকৈ বিচাৰিও কিতাপখন নাপালে। অৱশ্যে মই অৰ্থনীতিৰ চেকশ্যনত বিচাৰিবলৈ কোৱাত পিছদিনাই তেওঁ কিতাপখন আনি দিলে।

যোৱা সাত বছৰ ধৰি গুৱাহাটীৰ কিতাপৰ দোকানবোৰত সপ্তাহত তিনি-চাৰি বাৰকৈ ভুমুকি মাৰি

কোনবোৰ মানুহে কি ধৰণৰ কিতাপ কিনিবলৈ দোকানলৈ আহে— সেই বিষয়ে মোৰ এটা ধাৰণা হৈছে। বছৰৰ এটা নিৰ্দিষ্ট সময়ত স্কুল-কলেজৰ ছাত্ৰসকলে পাঠ্য-পুথি আৰু বিশেষকৈ "নোট" কিতাপ কিনিবলৈ কিতাপৰ দোকানত ভীৰ কৰে। স্কুলৰেই হওক বা কলেজ-বিশ্ববিদ্যালয়ৰে হওক— কোনো শিক্ষকক মই কিতাপৰ দোকানত লগ পোৱা নাই। নিশ্চয় নিজ নিজ শিক্ষানুষ্ঠানৰ লাইব্ৰেৰীয়েই তেওঁলোকৰ কিতাপৰ চাহিদা পূৰণ কৰে— অৰ্থাৎ যিসকলৰ তেনে চাহিদা আছে। গুৱাহাটীৰ সাংবাদিক, উকীল, ডাক্তৰ আৰু চৰকাৰী বিষয়া আদি বুদ্ধিজীৱী শ্ৰেণীৰ লোকসকলে কিতাপ পঢ়াৰ প্ৰয়োজন অনুভৱ কৰেনে নাই মই ক'ব নোৱাৰোঁ; অন্ততঃ কিতাপৰ দোকানত এই শ্ৰেণীৰ লোকক কাচিৎহে দেখা যায়। খুব সম্ভৱ তেওঁলোকৰ ভিতৰতো গ্ৰন্থ-প্ৰেমী লোকসকলে লাইব্ৰেৰীৰ আশ্ৰয় লয়। বেছিভাগ সময়তে কিতাপৰ দোকানত লগ পাওঁ সামৰিক বিভাগৰ বিষয়া, মফস্বল চহৰ বা হাবিতলীয়া কল-কাৰখান আৰু চাহ-বাগিচাৰ পৰা মাহেকে-পষেকে গুৱাহাটীলৈ অহা মেনেজাৰজাতীয় লোক, আওহতীয়া ঠাইত বাস কৰা বিদেশী ধৰ্ম-প্ৰচাৰক— ইত্যাদি। কোৱা বাহুল্য মাথোন যে এইসকল লোকৰ শতকৰা নিৰান্নৈব্বৈজনেই অনা-অসমীয়া। সামৰিক বিষয়া বা কোম্পানীৰ একজিকিউটিভ সকলে স্বাভাৱিকতেই পৰ্ণগ্ৰাফী আৰু ক্ৰাইম-থ্ৰীলাৰজাতীয় লঘু-পাঠ্য কিতাপ কিনে। কিন্তু তেওঁলোকৰ মাজতো ব্যতিক্ৰম নোহোৱা নহয়। এদিন এখন কিতাপৰ দোকানত দেখিলোঁ— এজন উচ্চপদস্থ সামৰিক বিষয়াই একেলগে প্ৰায় দুশমান টকাৰ কিতাপ কিনিছে। তেওঁ কিনা কেইখনমান কিতাপৰ নাম এতিয়াও মনত আছে— এৰিক ফ্ৰমৰ The Sane Society, টনীৰ Equality, আৰ্থাৰ কোৱেষ্টলাৰৰ The International Call-girl, মৰ্টন হোৱাইটে সম্পাদনা কৰা The Age or Analysis : The Twentieth Century Philosophers ইত্যাদি।

কিন্তু গুৱাহাটীৰ কিতাপৰ দোকানত আটাইতকৈ বেছি ভীৰ কৰে যিসকল লোকে, তেওঁলোক হ'ল Nouveau riche বা ন-ধনী শ্ৰেণীৰ ইংৰাজী ভাষাৰ জৰিয়তে শিক্ষা পোৱা 'আধুনিক' ডেকা-গাভৰুৱে। বিচিত্ৰ বেশভূষাৰে সজ্জিত হৈ বিচিত্ৰতৰ ইয়াংকী-ইংৰাজীৰ আখৈ ফুটাই তেওঁলোকে কিতাপৰ দোকান চলাথ কৰে জেমছ হেডলী চেজ আৰু কাৰ্টাৰ ব্ৰাউনৰ সৰ্বশেষ থ্ৰীলাৰখন বিচাৰি। দুদিনমান গুৱাহাটীৰ কিতাপৰ দোকানত ঘূৰিলেই আপোনাৰো মনত নিশ্চয় ধাৰণা হ'ব যে বিংশ শতাব্দীৰ সাহিত্য-সংস্কৃতিৰ প্ৰধান প্ৰাণ-পুৰুষজন হ'ল জেমছ হেডলী চেজ নামৰ এই ভদ্ৰলোকজন। চেজক chase কৰি ফুৰা এই আধুনিক ডেকা-গাভৰুসকলৰ প্ৰগলভ কথা-বাৰ্তা শুনি আপুনি কি ভাবিব মই নাজানো; মোৰ কিন্তু বাৰে বাৰে মনলৈ আহে অল্ডছ হাক্সলীৰ এষাৰ কথা— 'Four generations ago James Mill expressed the belief that, if everybody could read and write, everything would be well, forever... Today everybody can read and write, and we find ourselves living in a world where war is inceasant, liberty on the decline, democracy in penil, a world morever where most of the beneficiaries of universal education read only the tabloids, the Commics and murder mysteries'— অৰ্থাৎ 'চাৰি পুৰুষৰ আগতে জেমছ মিলে এই বিশ্বাস প্ৰকাশ কৰিছিল যে প্ৰত্যেক মানুহে লিখিব আৰু পঢ়িব পৰা হ'লেই পৃথিৱীত সকলো কথা ঠিক হৈ যাব। আজি প্ৰত্যেক মানুহেই লিখিব আৰু পঢ়িব পাৰে, কিন্তু আমি আজি নিজকে এনে এখন পৃথিৱীত বাস কৰা দেখিবলৈ পাইছোঁহক— য'ত যুদ্ধ-বিগ্ৰহৰ বিৰাম নাই, স্বাধীনতা ক্ৰমক্ষীয়মান, গণতন্ত্ৰ বিকল আৰু তদুপৰি ই এনে এখন পৃথিৱী— য'ত সাৰ্বজনীন শিক্ষাৰ সুফল লাভ কৰা বেছিভাগ মানুহেই কেৱল সাৱাংশজীৱী বাতৰি কাকত, কমিক্‌ছ আৰু হত্যা-ৰহস্যৰ বাহিৰে আন একো কিতাপ নপঢ়ে।"

কিতাপ পঢ়া মানুহে ল'ৰা কালতেই কিতাপ পঢ়াৰ অভ্যাস আয়ত্ত কৰে। সেই সময়ত তেওঁলোকে যি ধৰণৰ কিতাপ পঢ়াৰ ৰুচি আয়ত্ত কৰে, ডাঙৰ হৈয়ো তেওঁলোকৰ সেই ৰুচিৰ পৰিবৰ্তন নহয়। এই সমস্যাটোকে আলোচনা কৰি ডঃ মাৰ্টিমাৰ এডলাৰে কৈছে যে ল'ৰা-ছোৱালীৰ মনত আৰম্ভৰে পৰাই ভাল কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিবলৈ চেষ্টা কৰিব লাগে। তেওঁ লিখিছে— "আমি যদি ল'ৰা-ছোৱালীক কেৱল ৰং-চঙীয়া ছবিৰে ভৰা আৰু সহজে পঢ়িব পৰা কিতাপ পঢ়াতেই অভ্যস্ত হ'বলৈ এৰি দিওঁ, তেতিয়া হ'লে ডাঙৰ হৈ সিহঁতে ভাল আৰু টান কিতাপ পঢ়িবলৈ কেতিয়াও চেষ্টা কৰিব নোৱাৰিব। মনৰ স্বাস্থ্যৰ বিকাশ ঘটাব পৰা সু-খাদ্যৰ সন্ধান কৰাৰ পৰিবৰ্তে সিহঁতে সদায় মুখত জুতি লগা চেনিগুটি-লুজেন জাতীয় খাদ্য লৈয়ে সন্তুষ্ট থাকিবলৈ বিচাৰিব। ইয়াৰ ফলত এনে এচাম মানুহৰ সৃষ্টি হ'ল যিসকলৰ শৰীৰ পূৰ্ণ বিকশিত হ'লেও মন আৰু হৃদয়-বৃত্তি পঁয়ালগা হৈ থাকিব, আৰু তেওঁলোকে পৰিণত বয়সৰ দায়িত্ব আৰু সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কেতিয়াও প্ৰস্তুত হ'ব নোৱাৰিব।"

শিক্ষানুষ্ঠানত শৃংখলা

শিক্ষানুষ্ঠানবোৰত শৃংখলা আৰু নিয়মানুবৰ্তীতা প্ৰৱৰ্তন কৰিবলৈ ৰাজ্য চৰকাৰে কেতবোৰ ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰিছে। যোৱা ৩০ জুলাইৰ নীলাচলত অসমৰ মাধ্যমিক শিক্ষাৰ বিষয়ে সাধাৰণভাৱে আলোচনা কৰি আমিও মন্তব্য কৰিছিলোঁ যে প্ৰতিবছৰে লাখ লাখ ল'ৰা-ছোৱালী পৰীক্ষাত অনুত্তীৰ্ণ হোৱাৰ এটা প্ৰধান কাৰণ হ'ল শিক্ষানুষ্ঠানত নিয়মানুৱৰ্তীতা আৰু নিয়ন্ত্ৰণৰ অভাৱ। এই নিয়মানুৱৰ্তীতাৰ অভাৱ কেৱল ল'ৰা-ছোৱালীৰ মাজতেই সীমাবদ্ধ নহয়। গুৱাহাটীৰ শীৰ্ষস্থানীয় চৰকাৰী স্কুলত এনে ঘটনাও দেখা গৈছিল যে শ্ৰেণীত ঘণ্টা বাজি ১৫/২০ মিনিট পাৰ হৈ যোৱাৰ পিচতো শিক্ষকে কমন ৰুমত কেৰম খেলি মচগুল হৈ থাকে। ছাত্ৰয়েহে শিক্ষকক টানি-আঁজুৰি শ্ৰেণীলৈ আনিব লগা হয়। শৃংখলা আৰু কৰ্তব্যবোধৰ অভাৱে অসমৰ শিক্ষাজগতত ক্ৰমবৰ্দ্ধমান অৰাজকতা সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছিল। এনে অৱস্থাত অসম চৰকাৰৰ শিক্ষা বিভাগে কেতবোৰ কঠোৰ নীতি-নিয়ম প্ৰৱৰ্তন কৰি সময়োচিত দায়িত্বজ্ঞানৰেই পৰিচয় দিছে বুলি আমি ভাবোঁ। এই প্ৰসংগতে বিখ্যাত ইংৰাজ লেখক জে. বি. প্ৰিষ্টলিৰ এষাৰ কথা মনলৈ আহিছে। প্ৰিষ্টলি কমিউনিষ্ট নহয়, তেওঁ এজন পশ্চিমীয়া লিবাৰেল। গতিকে যিকোনো নিয়ন্ত্ৰণৰ মাজতে কমিউনিজমৰ ভূত দেখা সকলেও প্ৰিষ্টলিৰ কথা আশ্বস্ত হ'ব পাৰিব। প্ৰিষ্টলিয়ে কৈছিল— "কমিউনিষ্ট দেশত স্বাধীনতাৰ অভাৱৰ বিষয়ে বহু কথা কোৱা যায়, কিন্তু কম বয়সীয়াল ল'ৰা ছোৱালীৰ ক্ষেত্ৰত যে তাৰ কিবা ভাল ফলো থাকিব পাৰে, সেই কথা কোনেও উল্লেখ নকৰে। আধুনিক বিজ্ঞাপন, বিক্ৰী-কৌশল, ৰাজহুৱা ৰুচিৰ বিকৃত আৰু ধোঁৱাখুলীয়া খৰচৰ প্ৰৱণতাই কম বয়সীয়াল ল'ৰা ছোৱালীক সদায় বিপথগামী কৰে; কিন্তু কমিউনিষ্ট দেশসমূহৰ ল'ৰা ছোৱালীবোৰ এইবোৰ প্ৰভাৱৰ পৰা মুক্ত। মই সন্দেহ কৰোঁ যে আমেৰিকা বা পশ্চিম ইউৰোপৰ চেঙেলীয়া ডেকা-গাভৰুবোৰে যি পৰিবেশত বাস কৰে, কমিউনিষ্ট দেশৰ একে বয়সৰ ল'ৰা ছোৱালীবোৰে তাতকৈ বহুত বেছি সুস্থ পৰিবেশত বাস কৰে।"

মহাকাশ অভিযানত আমেৰিকাক পিছ পেলাই ৰুছিয়াই যেতিয়া প্ৰথমে চন্দ্ৰলৈ মানুহ পঠাবলৈ সমৰ্থ হ'ল, তেতিয়াও আমেৰিকাৰ শিক্ষাবিদসকলে দুইখন দেশৰ শিক্ষা-ব্যৱস্থাৰ তুলনামূলক অধ্যয়ন কৰি এই সিদ্ধান্তত উপনীত হৈছিল যে ৰাছিয়াৰ উন্নত আৰু সুনিয়ন্ত্ৰিত শিক্ষা ব্যৱস্থাই হ'ল তেওঁলোকৰ এই বিস্ময়কৰ অগ্ৰগতিৰ প্ৰধান কাৰণ। আমেৰিকান শিক্ষাবিদসকলৰ মতেই তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰৰ স্বাধীনতা বা স্বেচ্ছাচাৰিতা ইমান বেছি Soft living অৰ্থাৎ আৰাম-অলস্য আৰু ভোগ-বিলাসত অভ্যস্ত হৈ তেওঁলোকে কঠিন পৰিশ্ৰম কৰাৰ প্ৰাণ শক্তি ক্ৰমে হেৰুৱাই পেলাইছে। আমেৰিকাৰ তুলনাত ৰাছিয়াৰ ল'ৰা ছোৱালীয়ে পঢ়া-শুনা আৰু শৰীৰ-চৰ্চাত বহুত বেছি সময় অতিবাহিত কৰে; আলস্য আৰু বিলাসত জীৱনৰ শ্ৰেষ্ঠ সময়খিনি অপচয় কৰিবলৈ তেওঁলোকক কোনো 'স্বাধীনতা' দিয়া নহয়।

'শিক্ষানুষ্ঠানবোৰলৈ শৃংখলা আৰু নিয়মানুৱৰ্তীতা ঘূৰাই আনিবলৈ অসম চৰকাৰে যিবোৰ নতুন নীতি-নিয়ম ঘোষণা কৰিছে, সেইবোৰৰ বেছিভাগকেই আমি ভাল পাইছোঁ। কেৱল এটা নিয়ম পুনৰ বিবেচনা কৰি

চোবাৰ প্ৰয়োজন আছে বুলি আমি ভাবোঁ। চৰকাৰে এই নিয়ম কৰিছে যে যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীৰ বা শিক্ষান্ত পৰীক্ষাত একেবাৰতে উত্তীৰ্ণ হ'ব নোৱাৰিব, সেইবোৰ ছাত্ৰ-ছাত্ৰীক শ্ৰেণীত বা স্কুলত পুনৰ ভৰ্তি কৰা নহ'ব। নীতিগতভাৱে এই নিয়মৰ প্ৰতি আমাৰ কোনো আপত্তি নাই। কিন্তু চৰকাৰে এই নিয়ম বলবৎ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীসকলক অন্ততঃ এটামান বছৰ সময় দিয়াটো সমীচিন হ'লহেঁতেন বুলি আমি ভাবোঁ। তেতিয়া হ'লে বহুতো ছাত্ৰ-ছাত্ৰীয়ে ভীতিগ্ৰস্থ হৈ শেষ বাৰৰ কাৰণে এটা চেষ্টা কৰি চাবলৈ সুযোগ পালেহেঁতেন। কিছুমান ল'ৰা-ছোৱালী স্কুল-কলেজৰ পৰা বিতাৰিত হ'লেই তেওঁলোকৰ প্ৰতি চৰকাৰৰ দায়িত্বৰ ওৰ নপৰিব; কাৰণ তেওঁলোকে সমাজত আন বেলেগ বেলেগ সমস্যাৰ সৃষ্টি কৰিব আৰু সেইবোৰ সমস্যাৰ সমাধানৰ দায়িত্বও অৱশেষত চৰকাৰৰ কান্ধতেই আহি পৰিব। তদুপৰি সমাজবাদী চৰকাৰ প্ৰত্যেক নাগৰিকৰ প্ৰতি দায়িত্বৰ অচ্ছেদ্য বন্ধনেৰে জড়িত।

দুৰ্নীতি-মুক্ত সমাজ

দুৰ্নীতিৰ অপৰাধত অসমৰ বহুতো সৰু-বৰ চৰকাৰী কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্থ কৰা হৈছে আৰু অন্যান্য বিভিন্ন প্ৰকাৰৰ শাস্তি দিয়া হৈছে। কথাৰ গতিগোত্ৰ দেখি অনুমান হয় যে চাকৰিৰ পৰা খেদা খাবলগীয়া কৰ্মচাৰীৰ আৰু কেবাখনো তালিকা ওলাবলৈ এতিয়াও বাকী আছে। জৰুৰী অবস্থাই সৃষ্টি কৰা অনুকূল বাতাবৰণৰ সুযোগ লৈ চৰকাৰে যি কেইটা ভাল কাম কৰি দেখুৱাইছে, সেইবোৰৰ ভিতৰত এই দুৰ্নীতি-দমন অভিযান নিঃসন্দেহে এটা বিশেষভাৱে চকুত লগা কাম হৈছে। মাত্ৰ দুমাহৰ ভিতৰতে, আৰু কেৱল অসমতে, প্ৰায় আঢ়ৈ কুৰিজন চৰকাৰী কৰ্মচাৰী বিভিন্ন প্ৰকাৰে নিগৃহীত হোৱা কথাই ইয়াকে প্ৰমাণ কৰে যে প্ৰশাসনৰ বিভিন্ন স্তৰত দুৰ্নীতিৰ ব্যাপক অস্তিত্বৰ সম্পৰ্কে ৰাইজৰ মনত যি ধাৰণাৰ সৃষ্টি হৈছিল সি সম্পূৰ্ণ অমূলক বা অতিৰঞ্জিত নাছিল। অৱশ্যে আইনৰ মেৰ-পাকৰ কাৰণে চৰকাৰে তেতিয়া দুৰ্নীতিপৰায়ণ বিষয়াৰ বিৰুদ্ধে খৰতকীয়াকৈ বা ততালিকে কোনো ব্যৱস্থা ল'ব নোৱাৰিছিল। এতিয়া আইনৰ সেইবোৰ বাধা দূৰ হৈছে, আৰু চৰকাৰৰ অজিয়াছৰ আস্তাবল চাফা কৰিবলৈ এটা সুযোগ পাইছে। দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰে লোৱা কঠোৰ ব্যৱস্থাই ইতিমধ্যে একাধিক সুফল সৃষ্টি কৰা দেখা গৈছে। সি এহাতে ৰাইজৰ মনত নতুন আশা আৰু আনহাতে দুৰ্নীতি-প্ৰৱণ চৰকাৰী কৰ্মচাৰীৰ মনত ভীষণ ত্ৰাসৰ সঞ্চাৰ কৰিছে। দেশত এটা নতুন বাতাবৰণ সৃষ্টি হৈছে বুলি সাধাৰণ মানুহে প্ৰথম বাৰৰ কাৰণে অনুভৱ কৰিছে।

কিন্তু সেই বুলি আত্ম-সন্তুষ্টি লাভ কৰাৰ সময় এতিয়াও অহা নাই। সাময়িক উৎসাহত কিছুমান দুৰ্নীতি-পৰায়ণ চৰকাৰী কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্থ কৰিয়েই কেতিয়াও চিৰকালৰ কাৰণে দুৰ্নীতিক নিৰ্মূল কৰিব নোৱাৰে। পাকিস্তানতো এসময়ত প্ৰায় ২,৪০০ জন চৰকাৰী কৰ্মচাৰীক দুৰ্নীতিৰ অপৰাধত একেবাৰতে পদচ্যুত কৰা হৈছিল। কিন্তু তাৰ ফলত পাকিস্তান চিৰকালৰ কাৰণে দুৰ্নীতিমুক্ত হ'ল বুলি কোনেও ক'ব নোৱাৰে। দুৰ্নীতি স্থায়ীভাৱে নিৰ্মূল কৰাৰ এটাই উপায় আছে। সেইটো হ'ল সমাজ ব্যৱস্থা আৰু মূল্যবোধৰ পৰিবৰ্তন। বহুতো মানুহে অভাৱত পৰি দুৰ্নীতিত লিপ্ত হয়। এই ধৰণৰ দুৰ্নীতি নোহোৱা কৰিবলৈ হ'লে মানুহৰ ন্যূনতম প্ৰয়োজনখিনি পূৰণ কৰাৰ ব্যৱস্থা ৰাষ্ট্ৰই কৰিব লাগিব। কিন্তু দুৰ্নীতিৰ অপৰাধত এতিয়ালৈকে ধৰা পৰা চৰকাৰী কৰ্মচাৰীসকলৰ তালিকা বিশ্লেষণ কৰি চালে দেখা যায় যে তেওঁলোকৰ বেছিভাগেই স্বচ্ছল অৱস্থাৰ উচ্চপদস্থ বিষয়া; অভাৱৰ তাড়নাতকৈ ভোগ-বিলাসৰ লালসাইহে এই সকল লোকক দুৰ্নীতিৰ পথলৈ টানি নিছে। কিন্তু সমাজে যদি অসৎ উপায়েৰে আৰ্জিত ধনক ঘিণ কৰিবলৈ শিকিলেহেঁতেন বা সোণৰ চিকমিকনিত ভোল নগ'লহেঁতেন, তেতিয়া হ'লে এইসকল দুৰ্নীতিপৰায়ণ বিষয়াই চুৰি কৰা ধনেৰে বৰ মানুহ হোৱাবলৈ কেতিয়াও সাহ কৰিব নোৱাৰিলেহেঁতেন। আধ্যাত্মিকতাৰ দেশ বুলি বৰাই কৰা ভাৰতবৰ্ষত মূল্যবোধৰ এনে বিকৃতি ঘটিছে যে ধন-ঐশ্বৰ্য্যই ইয়াত সামাজিক মৰ্য্যাদাৰ একমাত্ৰ মাপ-কাঠি বুলি পৰিগণিত হৈছে। সঁচা কথা ক'বলৈ গ'লে 'মেমন'এই এতিয়া এই দেশৰ একমাত্ৰ উপাস্য দেৱতা। অৱস্থা এনে হোৱাৰ ফলত এজন আদৰ্শবাদী দৰিদ্ৰ শিক্ষক, লিখক বা

সমাজ-সেৱকক এই দেশত কোনেও মানুহ বুলি গণ্য নকৰে, কিন্তু ৰাজহুৱা ধন চুৰি কৰা 'বৰ-মানুহ' হোৱা একোজন ঠিকাদাৰ বা ইঞ্জিনিয়াৰক সমাজে বৰ-পীৰা পাৰি বহুৱায়। সমাজে যি বস্তুক আটাইতকৈ বেছি মূল্য দিয়ে বা সৰ্বাধিক শ্ৰদ্ধাৰ দৃষ্টিৰে চায়, সেই বস্তুক আয়ত্ত কৰিবলৈ চেষ্টা কৰাটোৱেই মানুহৰ স্বভাব। তথাকথিত 'আধ্যাত্মিকতাবাদী' দেশ ভাৰতবৰ্ষত মানুহে মুখেৰে যিহকেই নকওক কিয়, মনেৰে কিন্তু ধন-সোণকেই আটাইতকৈ বেছি মূল্য দিয়ে। সোণৰ চিকমিকনিয়ে ভাৰতৰ মানুহক এনেভাবে চকু-কণা কৰি তুলিছে যে তেনে ধন-সোণ চুৰ কৰি বা অন্যান্য অসৎ উপায়েৰে ঘটা বুলি জানিলেও সমাজৰ চকুত তাৰ মূল্যৰ অকণো হীন-ডেটি নহয়। ফলত বেছিভাগ মানুহেই 'যেন-তেন-প্ৰকাৰেণ' ধন-সোণ ঘটাটোৱে জীৱনৰ একমাত্ৰ ব্ৰত বুলি সাৰোগত কৰি লৈছে। ভাৰতৰ দুশ্চৰিত্ৰ আৰু আত্ম-প্ৰতাৰক সমাজত মূল্যবোধৰ এই বিকৃতিয়ে এনে চৰম সীমা পাইছেগৈ যে জ্ঞান-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত যিসকল লোকৰ প্ৰতিভা আছে, তেওঁলোকেও নিজৰ প্ৰতিভাৰ বিকাশৰ দ্বাৰা সমাজৰ শ্ৰদ্ধা পাবলৈ চেষ্টা নকৰি সেই প্ৰতিভাক পণ্য দ্ৰব্যত পৰিণত কৰিছে আৰু চাৰিওফালে ধন-সোণ চটিয়াই সমাজৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে। সেয়েহে আমাৰ দেশত উচ্চশিক্ষিত ডাক্তৰে গবেষণা নকৰে বা আৰ্তজনৰ সেৱা নকৰে; সৰ্বপ্ৰথম সুযোগতে তেওঁ অট্টালিকা নিৰ্মাণ কৰে আৰু বিলাস-বাসনাৰ উপচাৰ সংগ্ৰহ কৰে। কলেজ-বিশ্ববিদ্যালয়ৰ অধ্যাপকেও গ্ৰন্থ-ৰচনা বা জ্ঞান সাধনাৰ পৰিবৰ্তে বেছিভাগ সময় অতিবাহিত কৰে পৰীক্ষা পৰিচালনা বা পাঠ্যপুথি ৰচনা আদিৰ দৰে অৰ্থকৰী কামত। কাৰণ এইসকল লোকে জানে যে সমাজে গৱেষণা বা জ্ঞান সাধনাৰ বা আদৰ্শবাদিতাক ফুটাকড়ি এটাৰ সমানো মূল্য নিদিয়ে, মূল্য দিয়ে কেৱল ধন ঐশ্বৰ্য্যৰ পয়োভৰক। দুৰ্নীতিৰ সমস্যাটোক এই দৃষ্টিভংগীৰ পৰা বিচাৰ কৰি চালে দেখা যাব যে অসৎ উপায়েৰে ধন ঘটা মাত্ৰ কেইজনমান লোকেই দুৰ্নীতিৰ অপৰাধত অপৰাধী নহয়, আচল অপৰাধী হ'ল সমগ্ৰ সমাজখন। যি সমাজে একালে দুৰ্নীতিক মুখেৰে ঘৃণা কৰি দেখুৱায়, কিন্তু আনফালে দুৰ্নীতিৰ দ্বাৰা ধন ঘটি বিলাসৰ পংকত লেটি লৈ ফুৰা মানুহবোৰকে সকলো ঠাইতে বৰ পীৰা পাৰি বহি সেই সমাজতকৈ অধিক দুঃচৰিত্ৰ আৰু ভণ্ড দ্বিতীয় এখন সমাজ থাকিব নোৱাৰে। এই সমাজখনেই হ'ল আমাৰ দেশৰ সকলো দুৰ্নীতিৰ প্ৰধান উৎস।

সমাজৰ পৰা দুৰ্নীতি স্থায়ীভাৱে নিৰ্মূল কৰিবলৈ হ'লে সমাজৰ পৰা কেতবোৰ মূল্যবোধৰ আমূল পৰিবৰ্তন ঘটিব লাগিব। ভাৰতবৰ্ষ পৃথিবীৰ ভিতৰতে এখন অতি দুখীয়া দেশ। এই দেশৰ কোটি কোটি মানুহে এতিয়াও দুবেলা দুমুঠি পেট ভৰাই খাবলৈ নাপায়। আজি আমাৰ দেশত আটাইতকৈ প্ৰয়োজন হৈছে এনে এটা নৈতিক আৰু মানসিক বাতাবৰণ সৃষ্টি কৰা, যি বাতাবৰণত ধন সোণৰ স্থূল আৰু কুৰুচিপূৰ্ণ প্ৰদৰ্শনিক মানুহে ঘিণ কৰিবলৈ শিকিব, মাত্ৰাতিৰিক্ত বিলাস-কামনাক মানুহে পাপ বুলি গণ্য কৰিব, সৰল অনাড়ম্বৰ জীৱন যাত্ৰা আৰু সংস্কৃতিক কুৰু ঐশ্বৰ্য্যৰ দম্ভতকৈ বেছি মূল্য দিবলৈ শিকিব। ভাৰতৰ দৰে দৰিদ্ৰ দেশত স্ব-আৰোপিত মিতাচাৰ আৰু অনাৰম্বৰ জীৱন-যাত্ৰাই হ'ল আটাইতকৈ শ্ৰেষ্ঠ সংস্কৃতি আৰু সুৰুচিৰ পৰিচয়। সকলো সৎ চিন্তাশীল লোকে যদি সমাজত এনে এক সুস্থ মূল্যবোধ প্ৰৱৰ্তন কৰিবলৈ চেষ্টা কৰে আৰু পাপাৰ্জিত ধন আৰু হৃদয়হীনতা বিলাস-বাসনক অশ্ৰদ্ধেয় বুলি গণ্য কৰিবলৈ মানুহক শিকায়, কেৱল তেতিয়াহে সমাজ প্ৰকৃততে দুৰ্নীতিমুক্ত হ'ব পাৰে বুলি আশা কৰিব পাৰি।

ভুল ভাষাত শুদ্ধ উত্তৰ

অ-দূৰদৰ্শিতা সকলো ক্ষেত্ৰতেই বেয়া, কিন্তু কিছুমান ক্ষেত্ৰত অ-দূৰদৰ্শিতাৰ পৰিণাম অতি বিষময় হয়। অসমৰ শিক্ষা-জগতত বোলে এনে এটা অলিখিত নিয়ম প্ৰচলিত আছে যে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ বহীত ভুল ভাষা লিখিলেও উৰ্ধ্বতম কৰ্তৃপক্ষৰ নিৰ্দেশমতে পৰীক্ষকে সেই দোষ আওকাণ কৰি চলিব লাগে। অৰ্থাৎ উত্তৰটো যদি শুদ্ধ(?) হয়, ভাষাৰ ভুলৰ কাৰণে ছাত্ৰজনৰ নম্বৰ কটা নাযায়। কিছুদিনৰ আগতে কাছাড় কলেজৰ অধ্যাপক ডঃ সুহাস চট্টোপাধ্যায়ে নীলাচলত এই তথ্য পৰিৱেশন কৰিছিল। কথাটো আমাৰ মনত ইমান অবিশ্বাস্য যেন লাগিছিল যে আমি লগে লগে তাৰ সত্যাসত্য নিৰূপণৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা বিভাগৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিলোঁ। উত্তৰ পালোঁ যে আমি অবিশ্বাস্য বুলি ভবা কথাটো সম্পূৰ্ণ সঁচা; পৰীক্ষাৰ্থীৰ ভাষাৰ ভুল টানকৈ নধৰিবলৈ পৰীক্ষকসকলক মৌখিকভাৱে নিৰ্দেশ দিয়া আছে।

শিক্ষা-দানৰ ক্ষেত্ৰত ইয়াতকৈ বেছি অদূৰদৰ্শী নীতি দ্বিতীয় এটা থাকিব পাৰে বুলি আমি ভাবিব নোৱাৰোঁ। শিক্ষাৰ প্ৰাথমিক উদ্দেশ্য ব্যাখ্যা কৰি এইছ্. জি. ওৱেলছে কৈছিল— “First we shall want the pupil to understand, speak, read and write his mother-tongue well.”– অৰ্থাৎ “প্ৰথমতে আমি বিচাৰোঁ যে ছাত্ৰই তেওঁৰ মাতৃভাষাটো ভালকৈ বুজিব, ক'ব, পঢ়িব আৰু লিখিব পাৰিব।” যিসকল লোকে স্কুল-কলেজৰ শিক্ষা সাং কৰিও নিজৰ মাতৃভাষাটোকে শুদ্ধকৈ ক'ব বা লিখিব নোৱাৰে, তেওঁলোকক কোনো অৰ্থতেই প্ৰকৃত শিক্ষিত লোক বুলি ক'ব নোৱাৰি। তদুপৰি মনস্তত্ত্ব আৰু শিক্ষা বিজ্ঞানৰ ন্যূনতম ধাৰণা থকা মানুহে এই কথাও নিশ্চয় স্বীকাৰ কৰিব যে শিকা বিষয়টো শুদ্ধকৈ আৰু খৰচি মাৰি নুবজা মানুহে সেই বিষয়টো কেতিয়াও শুদ্ধ ভাষাত প্ৰকাশ কৰিব নোৱাৰে; এই কথাটোকে আন প্ৰকাৰে এইদৰেও ক'ব পাৰি যে শিকা বিষয়টো শুদ্ধ ভাষাত প্ৰকাশ কৰাৰ অক্ষমতাই একো নুবুজি ভাটৌৰ দৰে মুখস্থ কৰি থোৱা বুলিহে প্ৰমাণ কৰে। এজন পণ্ডিতে কোৱাৰ দৰে ভাষা কেৱল ভাব প্ৰকাশৰ মাধ্যম মাত্ৰ নহয়, ই চিন্তা কৰাৰো একমাত্ৰ সঁজুলি। ভাষাৰ ওপৰত নিম্নতম দখল নথকা মানুহে কেতিয়াও প্ৰণালীবদ্ধভাৱে চিন্তা কৰিব নোৱাৰে। গতিকে বিদ্যাৰ্থীৰ ভাষা-জ্ঞানৰ ওপৰত জোৰ নিদিয়া শিক্ষা নীতিয়ে কেৱল এই কথাই প্ৰমাণ কৰে যে তেওঁলোকক চিন্তা কৰিবলৈ শিকোৱাৰ পৰিবৰ্তে ভাটৌৰ দৰে তথ্য মুখস্থ কৰিবলৈ উদ্‌গনি দিয়া হয়, আৰু বিদ্যাৰ্থীৰ বোধ শক্তিৰ বিকাশতকৈ স্মৰণ ক্ষমতা আয়ত্ত কৰাতেই শিক্ষাৰ প্ৰধান উদ্দেশ্য বুলি ধৰা হয়। এনে এটা ভুল আৰু অদূৰদৰ্শী নীতিৰ ওপৰত প্ৰতিষ্ঠিত শিক্ষা-ব্যৱস্থাই কেতিয়াও সমাজৰ বৌদ্ধিক বিকাশত বৰঙণি যোগাব নোৱাৰে।

সমাজত জ্ঞানৰ প্ৰচাৰ শিক্ষিত লোকসকলৰ এটা ডাঙৰ নৈতিক দায়িত্ব। জ্ঞানৰ প্ৰচাৰ একমাত্ৰ ভাষাৰ যোগেদিহে সম্ভৱ। কিন্তু যিসকল লোকে নিজে শিকা কথাখিনি শুদ্ধ আৰু সৰল ভাষাত ক'ব বা লিখিব নোৱাৰে, তেনে লোকে আনক কেতিয়াও নিজৰ জ্ঞানৰ ভাগ দিব নোৱাৰে। উদাহৰণ স্বৰূপে, যিসকল লোকে কৃষি-বিজ্ঞান বা স্বাস্থ্য বিজ্ঞানৰ শিক্ষা লাভ কৰিছে, সেই শিক্ষা সৰল আৰু শুদ্ধ ভাষাৰ যোগেদি দেশৰ কোটি কোটি অৰ্দ্ধ-শিক্ষিত মানুহৰ মাজত প্ৰচাৰ কৰাটো তেওঁলোকৰ এটা প্ৰধান নৈতিক দায়িত্ব।

প্ৰত্যেকটো শিক্ষিত মনেই একোগছ জ্বলা চাকিৰ নিচিনা; সেই চাকিয়ে আন হাজাৰটা মনৰ চাকি জ্বলাই দেশৰ অজ্ঞান-অন্ধকাৰ দূৰ কৰিব পাৰিব লাগিব। কিন্তু ভাষা-জ্ঞানৰ অভাৱৰ কাৰণে আমাৰ দেশৰ বেছিভাগ তথাকথিত 'শিক্ষিত' লোককেই প্ৰকৃত শিক্ষিত লোক বুলি ক'ব নোৱাৰি। ফলত প্ৰতি বছৰে দেশত লাখ লাখ শিক্ষিত মানুহ সৃষ্টি হোৱা সত্ত্বেও এনেকুৱা মানুহ খুব কমেইহে ওলাইছে— যিসকল লোকে নিজৰ বিদ্যাখিনি সৰল আৰু সুখপাঠ্য ভাষাত প্ৰকাশ কৰি জনসাধাৰণৰ মাজত জ্ঞান-প্ৰচাৰৰ কামত সহায় কৰিব পাৰে। মুখস্থ-শক্তিৰ ওপৰত জোৰ দিয়য়া ভুল শিক্ষানীতিয়েই ইয়াৰ প্ৰধান কাৰণ।

শুদ্ধ আৰু প্ৰকাশক্ষম ভাষাই হ'ল মানুহৰ সভ্যতা-সংস্কৃতিৰ ঘাই ভেটি। পৃথিৱীত যিবোৰ জাতি উন্নত বুলি পৰিগণিত হৈছে, তেওঁলোকে সৰ্বপ্ৰথমে এই ভেটিটো ভালকৈ বান্ধি লয়। বিশ্ববিখ্যাত 'ফৰাচী আকাডেমি" স্থাপিত হ'বৰ সময়ত ফৰাচী ভাষাৰ বিশুদ্ধতা ৰক্ষা কৰাই আছিল ইয়াৰ প্ৰধান উদ্দেশ্য। বিলাতৰ ৰয়েল ছোচাইটিয়ে আজিকালি কেৱল বিজ্ঞানী আৰু গণিতজ্ঞকহে সদস্য-পদ দিয়ে; কিন্তু এসময়ত লিখকসকলকো এই সন্মানিত সদস্য-পদ দিয়া হৈছিল। ৰয়েল ছোচাইটিৰ নিয়ম আছিল যে যিসকলে সদস্য-পদ পাব— All were desired to have a careful regard for the English language by developing a close, nacked natural way of speaking; positive expression clear senses a native easiness (A. C. Ward)

ভাষাৰ এনে কঠোৰ সাধনাইহে এইবোৰ জাতিক উন্নতিৰ শিখৰত তুলিছেগৈ। স্কুল-কলেজত ভাষা-জ্ঞানৰ প্ৰতি অবহেলা দেখুৱাই আমি কোন ফালে আগবাঢ়িব ধৰিছোঁ?

সাপ্তাহিক নীলাচল, ৩৪৬ সংখ্যা ঃ ২১ চেপ্তেম্বৰ, ১৯৭৫ চন

ৰাজহুৱা ক্ষয়ৰোগ

স্কুল-কলেজত ভাষা-শিক্ষাৰ প্ৰতি দেখুওৱা ইচ্ছাকৃত অবহেলাৰ পৰিণাম কিমান বিষময় হৈছে সেই বিষয়ে সকলো লোকেই সমানে সচেতন নহয়। অজ্ঞতাই তাৰ একমাত্ৰ কাৰণ। উন্নত বীজ, কৃষি-পদ্ধতি, ৰাসায়নিক সাৰ আদি বস্তুবোৰকেই যিসকল লোকে জীৱনৰ একমাত্ৰ সাৰ-কথা বুলি ভাবে আৰু ভাষা-সাহিত্য যিসকল লোকৰ চকুত কেৱল বিলাসৰ সামগ্ৰী, এটা সৰু কথাৰ প্ৰতি তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিব খোজোঁ। পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰা লাখ লাখ ল'ৰা-ছোৱালী দৰিদ্ৰ পিতৃ-মাতৃৰ কাৰণে এটা বিৰাট সমস্যা। এই সকল পিতৃ-মাতৃয়ে যদি নিজৰ ল'ৰা-ছোৱালীৰ যিকোনো এটা বিষয়ৰ এখন পাঠ্য-পুথি কেতিয়াবা খুলি চায়, তেতিয়া তেওঁলোকে দেখিব যে পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰাৰ কাৰণে কেৱল ল'ৰা-ছোৱালীকে সম্পূৰ্ণৰূপে জগৰীয়া কৰিব নোৱাৰি। পাঠ্য-পুথিৰ ভাষা সৰল হোৱা উচিত, পোনপটীয়া আৰু সহজে বোধগম্য। জনালোকে এই কথাও জানে যে ভাষাৰ ওপৰত বিশেষ দখল নাথাকিলে কোনেও সৰল ভাষা লিখিব নোৱাৰে। সম্প্ৰতি অসমৰ স্কুল সমূহত চলা পাঠ্য-পুথিবোৰৰ বেছি ভাগৰেই ভাষা ইমান অনাৱশ্যকভাৱে জটিল আৰু প্ৰকাশভংগী ইমান আড়ষ্ট যে তাৰ অৰ্থোদ্ধাৰ কৰা ল'ৰা-ছোৱালীৰ পক্ষে প্ৰায় অসম্ভৱ। ফলত এইবোৰ পাঠ্য-পুথিয়ে শিক্ষাদানত একো সহায় কৰা নাই, বৰং কেৱল কেতবোৰ মানুহৰূপী ভাটৌৰ সৃষ্টি কৰিছে। আমি ভাবোঁ যে সম্প্ৰতি অসমৰ শিক্ষা জগতৰ এটা প্ৰধান সমস্যা হৈছে উপযুক্ত আৰু সু-লিখিত পাঠ্য-পুথিৰ সমস্যা। আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হোৱাৰ পিছত এই সমস্যাৰ গুৰুত্ব আগতকৈ হাজাৰ গুণে বাঢ়িছে। শুদ্ধ, সৰল আৰু মনোগ্ৰাহী ভাষাত পাঠ্য-পুথি লিখিব পৰা উপযুক্ত লোকৰ অভাৱেই এই সমস্যাৰ প্ৰধান কাৰণ। যেতিয়ালৈকে স্কুল-কলেজত ভাষা-শিক্ষাৰ মান উন্নত কৰিবলৈ যথোচিত ব্যৱস্থা লোৱা নহ'ব, তেতিয়ালৈকে এই সমস্যা দূৰ হোৱাৰ কোনো আশা নাই।

অসমীয়া ভাষা শিক্ষাৰ প্ৰতি অবহেলাই তথাকথিত শিক্ষিত শ্ৰেণীৰ মাজতো যিধৰণৰ কিম্ভুত-কিমাকাৰ জীৱৰ সৃষ্টি কৰিছে, তাৰ এটা উদাহৰণ দিওঁ। কিছু দিনৰ আগতে এটা সৰ্বভাৰতীয় গৱেষণা প্ৰতিষ্ঠানে এটা বিশেষ বিষয়ৰ ক্লাচিক-শ্ৰেণীভুক্ত এশখন ইংৰাজী গ্ৰন্থ ভাৰতৰ আঞ্চলিক ভাষালৈ অনূদিত কৰাবলৈ এখন আঁচনি হাতত ল'লে। অসমীয়া ভাষালৈ অনূদিত এনেকুৱা পাঁচখন গ্ৰন্থৰ চানেকি-অনুবাদ পৰীক্ষা কৰি চাবলৈ মোক দিয়া হৈছিল। প্ৰত্যেকজন অসমীয়া অনুবাদকেই আছিল কলেজৰ অধ্যাপক। ভাষাৰ ওপৰত সকলোৰে সমান দখল নাথাকিব পাৰে, ফলত ভাষান্তৰ কৰোঁতে মূলৰ সৌন্দৰ্য অটুট ৰখাটো সকলোৰে পক্ষে সম্ভৱ নহ'ব পাৰে। কিন্তু মূলৰ সৌন্দৰ্য্য ৰক্ষা কৰা দূৰৰ কথা— ওপৰোক্ত অনুবাদক কেইজনে যি ভাষাত কিতাপকেইখন অনুবাদ কৰিলে, তাক আৰু কোনো পধ্যেই অসমীয়া ভাষা বুলি ক'ব নোৱাৰি। বিশ্ববিদ্যালয়ৰ সৰ্ব্বচ্চ ডিগ্ৰীধাৰী আৰু কলেজৰ অধ্যাপক এই লোককেইজনে নিজৰ অনুবাদৰ নমুনাৰ দ্বাৰাই প্ৰমাণ কৰিলে যে তেওঁলোকে ইংৰাজী ভাষা যিমান নাজানে, তাতোকৈ বেছি নাজানে নিজৰ মাতৃ ভাষা অসমীয়া। তাৰে এজনৰ অনুবাদৰ এটা মাত্ৰ নমুনা দিওঁ ঃ

মূল গ্ৰন্থত এটা বাক্য আছিল ঃ ... the minutes of the meeting were suitably edited for public consumption.

অসমৰ কোনো এখন কলেজৰ এজন ইতিহাসৰ অধ্যাপকে এই ইংৰাজী বাক্যৰ অনুবাদ কৰিলে— "সভাৰ কাৰ্য্য-বিবৰণী ৰাজহুৱা ক্ষয়ৰোগৰ কাৰণে উপযুক্তভাৱে সম্পাদনা কৰা হৈছিল।"

আজি অসমীয়া ভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰা হৈছে। প্ৰতিবছৰে হাজাৰ হাজাৰ গ্ৰন্থ বিদেশী ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰাৰ প্ৰয়োজন অনিবাৰ্য্য হৈ দেখা দিছে। কিন্তু কলেজৰ অধ্যাপকৰেই যদি ভাষা জ্ঞানৰ নমুনা এয়েই হয়, তেন্তে ঈশ্বৰে যেন অসমীয়া ভাষাক ৰক্ষা কৰে।

মাটি যদি সম্পত্তি নহয়

মাটি যদি সম্পত্তি নহয়, ই জীৱিকাৰ এটা উপায় বা উৎপাদনৰ এটা সঁজুলি মাত্র— ভাৰতীয় খেতিয়কক এই কথা শিকাবলৈ চেষ্টা কৰা হৈছে। নিঃসন্দেহে ই এটা বৈপ্লৱীক শিক্ষা। মাটিক নিজৰ জীৱন বুলি ভবা ভাৰতীয় খেতিয়কে যদি এই শিক্ষাৰ আচল তাৎপৰ্য্য উপলব্ধি কৰি তাক অন্তৰেৰে গ্ৰহণ কৰে, তেন্তে মানুহৰ চিন্তা আৰু জীৱন ধাৰাত নিশ্চয় এটা বৈপ্লৱীক পৰিবৰ্তন সূচীত হ'ব।

'নাঙল যাৰ মাটি তাৰ'— এই নতুন শ্লোগান সম্পূৰ্ণৰূপে সমৰ্থনযোগ্য। যি মানুহে নিজে খেতি নকৰে, তেওঁৰ মাটি ৰাখিবলৈ কোনো অধিকাৰ থকা উচিত নহয়। কাৰণ এনে লোকে নিজে পৰিশ্ৰম নকৰি আনৰ পৰিশ্ৰমৰ ফল গ্ৰাহ কৰে। অৰ্থনৈতিক শোষণৰ ই এটা নগ্নতম ৰূপ।

কিন্তু মাটি কেৱল খেতি কৰিবলৈকে নালাগে। প্ৰত্যেক মানুহকেই এডোখৰ মাটি লাগে থকা ঘৰ সাজি ল'বলৈ। মানুহ দূৰৰ কথা, জীৱ-জন্তুৰ কাৰণেও এটা নিৰাপদ আশ্ৰয়স্থল জীৱনৰ এটা ন্যূনতম প্ৰয়োজন। সেই ফালৰ পৰা চাবলৈ গ'লে দলাৰ বগৰীৰ দৰে ঘূৰি ফুৰা গৃহহীন দৰিদ্ৰসকল মাটিহীন খেতিয়কতকৈও বেছি দুৰ্ভগীয়া। আমাৰ দেশত এনেকুৱা কোটি কোটি গৃহহীন মানুহ আছে। গাঁৱতকৈ নগৰত এনে গৃহহীন মানুহৰ সংখ্যা বেছি। কলিকতা আৰু বোম্বাইৰ নিচিনা মহানগৰবোৰত বহু লক্ষ মানুহৰ সমস্ত জীৱন পেভ্‌মেণ্টতেই অতিবাহিত হয়। মাটিহীন খেতিয়কক মাটি দিয়াতকৈ এই মাটি কোটি কোটি গৃহহীন মানুহ দৰিদ্ৰ মানুহবোৰক থকা ঘৰ সাজিবৰ কাৰণে ন্যূনতম পৰিমাণৰ মাটি দিয়াটো কোনোপক্ষেই কম জৰুৰী নহয়।

মাটিহীন খেতিয়কৰ কাৰণে মাটি উলিয়াবলৈ ভূমি-আইন সংস্কাৰ কৰি মাটিৰ সৰ্বোচ্চ সীমা বান্ধি দিয়া হৈছে। গৃহহীনৰ কাৰণে মাটি উলিয়াবলৈকো অনুৰূপ ব্যৱস্থা নিশ্চয় কৰিব লাগিব। আইনৰ দ্বাৰা চহৰীয়া সম্পত্তিৰ সৰ্বোচ্চ সীমা বান্ধি দিবলৈ যি প্ৰস্তাৱ কৰা হৈছি, সিও এই ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগাব। কিন্তু চহৰীয়া সম্পত্তিৰ সৰ্বোচ্চ সীমা বান্ধি দিলেই চহৰীয়া গৃহহীনৰ কাৰণে যথেষ্ট মাটি ওলাবনে?

এটা প্ৰাসঙ্গিক প্ৰশ্ন এইখিনিতেই উত্থাপন কৰিব পৰা যায়। সমাজত এনে এটা নতুন ধাৰণা প্ৰচাৰ কৰিবলৈ চেষ্টা কৰা হৈছে যে যি মানুহে নিজে খেতি নকৰে, তেওঁৰ মাটি ৰাখিবলৈ কোনো অধিকাৰ নাই, কাৰণ মাটি 'সম্পত্তি' নহয়। সেই একে যুক্তিৰেই এই কথাও জানো ক'ব নোৱাৰি যে যি মানুহে নিজৰ থকা ঘৰৰ মাটিৰ উপৰিও অতিৰিক্ত মাটিৰ গৰাকী হৈ আছে, তেওঁলোকৰো সেই মাটি ৰাখিবলৈ কোনো অধিকাৰ নাই, কাৰণ মাটি সম্পত্তি নহয়? উদাহৰণ স্বৰূপে ধৰি লওক, এজন মানুহৰ শিৱসাগৰ বা ধুবুৰী বা গুৱাহাটীতেই বিৰাট বাৰীৰে সৈতে থকা ঘৰ আছে; কিন্তু খৰিদ সূত্ৰে বা চৰকাৰৰ ওচৰত আবেদন কৰি তেওঁক গুৱাহাটীতো এডোখৰ মাটি পালে। সেই মাটি তেওঁ চৰকাৰৰ পৰা নামমাত্র মূল্যত লৈ পিচত হাজাৰ গুণ বেছি দামত বিক্ৰী কৰি মাফতে লাখ লাখ টকা ঘটিছে, অথবা তাত ঘৰ সাজি ভাড়ালৈ দি অতিৰিক্ত উপাৰ্জনৰ পথ মুকলি কৰিছে। এনেকুৱা বেছিভাগ লোকেই সমাজৰ প্ৰভাৱশালী আৰু সুবিধাভোগী শ্ৰেণীৰ মানুহ। গুৱাহাটীৰ নিচিনা চহৰত মাটি কিনি লোৱাটো দুখীয়া

মানুহৰ পক্ষে সাধ্যাতীত; আনহাতে যোৱা পঁচিশ বছৰৰ ভিতৰত গুৱাহাটীত চৰকাৰী মাটি পোৱা মানুহৰ যি তালিকা আমাৰ হাতত আছে, তাৰ পৰা দেখা যায় যে সমাজৰ দুৰ্বলতম আৰু দৰিদ্ৰতম শ্ৰেণীৰ খুব কম মানুহেইহে এনে চৰকাৰী মাটি পাইছে। কিন্তু যি যুক্তিত নিজে খেতি নকৰা মানুহৰ মাটি ৰখাৰ অধিকাৰ নাই, সেই একে যুক্তিতে নিজৰ থকা ঘৰৰ কাৰণে প্ৰয়োজন নোহোৱা অতিৰিক্ত মাটি ৰাখিবলৈ কাৰোবাৰ অধিকাৰ আছেনে? খেতিয়কে যদি মাটিক সম্পত্তি বুলি গণ্য কৰিব নোৱাৰে, চহৰীয়া বাবুৱে তেন্তে তাক কেনেকৈ সম্পত্তি হিচাপে ভোগ কৰিব পাৰে?

মানুহে এইবোৰ প্ৰশ্নৰ উত্তৰ এদিন বিচাৰিবই। আইনৰ চকুত সকলো মানুহ সমান— এই কথা প্ৰমাণ কৰিবলৈ এতিয়া চৰকাৰে এনেকুৱা ব্যৱস্থা হাতত ল'ব লাগিব— যাৰ দ্বাৰা নিজে খেতি নকৰা মানুহে মাটি ৰাখিব নোৱৰাৰ নিচিনাকৈ বস্তি-মাটিৰ ক্ষেত্ৰত নিজে থাকিবলৈ ঘৰ নসজা মানুহেও মাটি ৰাখিব নোৱাৰা হ'ব লাগিব। অসমৰ কিমান প্ৰভাৱশালী মানুহে অনিবাৰ্য্য প্ৰয়োজন নোহোৱা সত্বেও কেৱল সম্পত্তি হিচাবেই গুৱাহাটীত মাটি ৰাখি থৈছে। সেই কথা চৰকাৰেও জানে আৰু ৰাইজেও জানে। মাটিয়েই সম্পত্তি নহয় সেই কথা কেৱল গাঁৱৰ খেতিয়ক কেইজনক শিকালেই নহ'ব; সমাজৰ লাইখুঁটাস্বৰূপ চহৰীয়া বাবুসকলকো এই কথা শিকাব লাগিব। ধন, প্ৰভাৱ, প্ৰতিপত্তিৰ জোৰত প্ৰয়োজনাতিৰিক্ত চহৰীয়া মাটি ৰাখি থোৱা এই লোকসকলৰ পৰা মাটি কাঢ়ি আনি দৰিদ্ৰ গৃহহীন লোকৰ মাজত বিলাই দিলেহে আইনৰ মৰ্য্যাদা ৰক্ষা পৰিব। চৰকাৰৰ আন্তৰিকতা প্ৰমাণিত হ'ব আৰু 'মাটি সম্পত্তি নহয়' বুলি চৰকাৰে নিজেই প্ৰচাৰ কৰাৰ আদৰ্শৰ সাৰ্থকতা প্ৰতিপন্ন হ'ব।

সাপ্তাহিক নীলাচল, ৩৫১ সংখ্যা : ২৯ অক্টোবৰ, ১৯৭৫ চন

গতিবেগ শিথিল হৈছে নেকি?

জৰুৰী অবস্থা ঘোষণা কৰাৰ লগে লগে প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰা কুৰিদফীয়া অৰ্থনৈতিক কাৰ্যসূচীয়ে দেশব্যাপী বিৰাট উৎসাহ-উদ্দীপনা সৃষ্টি কৰা দেখা গৈছিল। দেশ এখন উন্নতিৰ পথত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত ৰাজহুৱা আস্থা, আশাবাদ আৰু কৰ্মোদ্যমৰ মূল্য অপৰিসীম। সুখৰ কথা যে প্ৰধান মন্ত্ৰীৰ অৰ্থনৈতিক কাৰ্য্যসূচীয়ে তেনে এটা উৎসাহ আৰু আশাবাদৰ মানসিক পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। এই কথাও সঁচা যে এই কাৰ্য্যসূচীৰ বহুতো কাম ইতিমধ্যেই আংশিকভাৱে হ'লেও কাৰ্য্যকৰী কৰা হৈছে আৰু তাৰ ফলত দেশৰ অৰ্থনীতিত নতুন প্ৰাণ সঞ্চাৰ হৈছে। অতি কম সময়ৰ ভিতৰতে ভাৰতে যি ভাৱে মুদ্ৰাস্ফীতিৰ গতি ৰোধ কৰি অৰ্থনীতিৰ হৃৎ স্বাস্থ্য ঘূৰাই আনিবলৈ সক্ষম হ'ল, সি সমগ্ৰ বিশ্বৰ প্ৰসংশা দাবী কৰিব পাৰে। অন্যান্য জৰুৰী কামবোৰৰ ভিতৰত মাটিহীনৰ মাজত ক্ষিপ্ৰ গতিৰে মাটি বিতৰণ, গাঁৱলীয়া ঋণৰ ক্ষেত্ৰত চৰছুৰীয়া মৰেটোৰিয়াম ঘোষণা আৰু দাস-শ্ৰমিক-প্ৰজাৰ উচ্ছেদ বিশেষভাৱে উল্লেখযোগ্য। এই আটাইবোৰ কামেই হতাশাত জৰ্জৰিত আটাইবোৰ মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিছে। এই আশাৰ পৰিৱেশ অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰাটোৱে এতিয়া চৰকাৰ আৰু ৰাইজৰ প্ৰধান কৰ্তব্য।

নেতিবাচক হতাশা নিশ্চয় বেয়া বস্তু। সি মানুহৰ ইচ্ছা শক্তি আৰু কৰ্মোদ্যমক পংগু কৰি দিয়ে। কিন্তু বাস্তৱৰ লগত সংগতি নথকা অতি উৎসাহ-আতিশয্যও ভাল কথা নহয়। সি অহেতুক আত্ম-[illegible] মনোভাব সৃষ্টি কৰি কৰ্মোদ্যমৰ গতি শিথিল কৰি দিব পাৰে। সত্যৰ খাতিৰত এই কথা স্বীকাৰ কৰা [illegible]কাৰ যে জৰুৰী অবস্থাৰ প্ৰথমছোৱাত যি বিপুল উৎসাহ, উদ্দীপনা আৰু কৰ্ম-তৎপৰতা দেখা গৈছিল, এতিয়া সি সামান্য শিথিল হৈ পৰা যেন ৰাইজে অনুভৱ কৰিছে। কুৰিদফীয়া অৰ্থনৈতিক কাৰ্য্যসূচীৰ কেবাটাও গুৰুত্বপূৰ্ণ কাম কৰি শেষ কৰা দূৰৰ কথা, এতিয়াও হাতত ল'বলৈকে বাকী আছে। উদাহৰণ স্বৰূপে, গাঁৱলীয়া অঞ্চলত সামন্তবাদৰ ৰাজহাড় ভাঙিবলৈ ভূমি-সংস্কাৰৰ কাম ক্ষিপ্ৰ গতিত কৰা হৈছে যদিও চহৰাঞ্চলত অৰ্থনৈতিক শোষণ, লুণ্ঠন আৰু বৈষম্য দূৰ কৰিবলৈ চহৰীয়া সম্পত্তিৰ সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণৰ কাম এতিয়াও বিশেষ আগবঢ়া নাই। সেইদৰে কিছু সংখ্যক মাটিহীন খেতিয়কক মাটি দিয়া হৈছে, যদিও তেওঁলোক আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ পুঁজিৰ ব্যৱস্থা কৰাৰ কাম আশানুৰূপভাৱে খৰতকীয়া হোৱা নাই। যি পঞ্চাশটা গাঁৱলীয়া বেঙ্ক স্থাপন কৰাৰ প্ৰস্তাৱ কৰা হৈছিল, তাৰ ভিতৰত এতিয়ালৈকে পাঁচটা বেঙ্কহে স্থাপন কৰা হৈছে।

আগৰ হতাশা আৰু জড়তা পাহৰি ৰাইজে নতুন উৎসাহেৰে কঁকালত টঙালি বান্ধিছে। চৰকাৰী শিথিলতাই যাতে তেওঁলোকৰ উৎসাহত ভাটাৰ সৃষ্টি নকৰে, তাৰ প্ৰতি সদা-সতৰ্ক দৃষ্টি ৰখাটো এতিয়া চৰকাৰৰ প্ৰধান কৰ্তব্য।

সাপ্তাহিক নীলাচল, ৩৫২ সংখ্যা ঃ ৫ নবেম্বৰ, ১৯৭৫ চন

জীৱনী সাহিত্যৰ প্ৰসঙ্গত

জীৱনী লেখকৰ কি কি গুণ থাকিব লাগে?

জীৱন-চৰিত (আধুনিক অৰ্থত জীৱন-চৰিত বুলিলে আমি যি বুজোঁ) লেখাৰ প্ৰকৃত আদৰ্শ আৰু বিশিষ্ট নিদৰ্শন আমাৰ সাহিত্যত নাই বুলিলেই হয়। আমাৰ প্ৰাচীন চৰিত পুথিসমূহৰ লগত আধুনিক জীৱন-চৰিতৰ ৰচনাভংগী আৰু প্ৰাচীন চৰিতকাৰসকলৰ দৃষ্টিভংগীৰ পাৰ্থক্য মৌলিক। আজিৰ জীৱনীকাৰৰ উদ্দেশ্য কেৱলমাত্ৰ গুণানুকীৰ্তন কৰা নহয়, নাইবা তত্ত্ব বা আদৰ্শ প্ৰচাৰৰ বাহন হিচাপেও জীৱনীক লোৱা নহয়। সেই কাৰণে আধুনিক জীৱনী গ্ৰন্থত নায়কৰ জীৱনৰ এন্ধাৰ-পোহৰ দুয়োটা দিশৰেই প্ৰফিলন ঘটে, আৰু ইয়াত তত্ত্বকথা বা নীতিকথাৰ বাক্‌স্ফূৰ্তি ঘটাই শিল্প-সুষমা ব্যাহত কৰা নহয়। Andre Malrois ৰ দৰেই আজিৰ জীৱনীকাৰে বিশ্বাস কৰে ঃ

'A Beethoven symphony is highly moral; so is a great biography, not because the author lays down moral principles but because a great life is a thing of beauty.'

জীৱনী এখন হ'বলৈ হ'লে জীৱন এটা লাগিবই। প্ৰসংগতঃ স্মৰ্তব্য যে জীৱন আছিল অম্বিকাগিৰিৰ, জীৱন আছিল বিষ্ণু ৰাভাৰ। কিন্তু তেওঁলোকৰ জীৱনক কেন্দ্ৰ কৰি বৰণীয় স্মৰণীয় গ্ৰন্থ জানো আজিলৈ ৰচিত হ'ল? জ্যোতিপ্ৰসাদক লৈও মালিকে এখন উপন্যাসধৰ্মী কিতাপহে লিখিছে (ৰূপতীৰ্থৰ যাত্ৰী)। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৰা আদি কৰি আনন্দৰাম বৰুৱা, মণিৰাম দেৱানক অন্তৰ্ভুক্ত কৰি শ্ৰীকৃষ্ণকান্ত সন্দিকৈলৈকে কেইবাগৰাকী পুৰুষৰো জীৱন-চৰিত আমাৰ ভাষাত লেখা হৈছে। কিন্তু এইবোৰৰ এখনো সাৰ্থক আৰু যথাৰ্থ জীৱনী হৈ নুঠিল- প্ৰকৃত জীৱনীকাৰৰ অভাৱত বুলিয়ে ক'ব লাগিব। আধুনিক মানদণ্ডবিশিষ্ট মাথোঁ এখন জীৱনীহে আমাৰ সাহিত্যত লেখা হৈছে— শ্ৰীসত্যেন্দ্ৰনাথ বৰকটকীৰ 'নাপলেয়ঁ ব'নাপাৰ্ট'। বহুজন আকাংক্ষিত আৰু বহুজন প্ৰশংসিত সদ্য প্ৰকাশিত কৃষ্ণকান্ত সন্দিকৈৰ জীৱন-চৰিতখন পঢ়ি এটা কথাই মনত ভাব হ'ল যে আমাৰ সাহিত্যত এই বিভাগটোৱে অগ্ৰগতি লাভ কৰা দূৰৰ কথা, ইয়াৰ গতি যেন পশ্চাৎমুখীহে হৈছে। কৃষ্ণকান্ত সন্দিকৈৰ এই জীৱনীখন যি ধৰণে লেখা হৈছে তালৈ চাই ক'বৰ মন যায় যে এইখন আজিৰ ৰচনা নহৈ ঊনৈশ শতিকা বা তাৰো আগৰহে ৰচনা হ'ব লাগিছিল।

আমাৰ মানুহে সফল জীৱনীগ্ৰন্থ ৰচনা কৰিব নোৱৰাৰ এটি প্ৰধান কাৰণ হ'ল ভাৰতীয় চিন্তাসম্ভূত ভাব-প্ৰৱণতা, ভাৰতীয় পৰম্পৰাই প্ৰদান কৰা আদৰ্শবাদিতা। জীৱন-চৰিতৰ সাধাৰণ উপজীব্য হৈছে মানুহ। দোষ-গুণ, সবলতা-দুৰ্বলতাৰেই মানুহ। আৰৌ, সমাজ পৰিৱেশৰ পৰা বিচ্ছিন্ন বস্তু নহয়। এই সামগ্ৰিকতাৰ পটভূমিত ৰাখি জীৱন বৰ্ণিত আৰু বিশ্লেষিত নোহোৱাৰ ফলত আমাৰ জীৱনী নিখুঁত আৰু পূৰ্ণ নহয়। এডমাণ্ড গছেই কোৱাৰ দৰে, 'জীৱনৰ হুবহু চিত্ৰাংকনেই জীৱনী।' কিন্তু জীৱন মানে উপৰুৱা, উকা জীৱনটোৱেই নহয়। জীৱন-চৰিত সমৃদ্ধ আৰু আকৰ্ষণীয় হ'বলৈ হ'লে তাত প্ৰতিফলিত হ'ব লাগিব নায়কৰ হৃদয়ৰ বিচিত্ৰ আশা-আকাংক্ষা, মনোজগতৰ বিচিত্ৰ সংঘাত। একোজন ব্যক্তিৰ জীৱন-বুৰঞ্জীক

উকা ৰূপত প্ৰতিফলিত কৰাই নহয়, তাৰ সাহিত্য ৰূপ দিয়াহে জীৱনীকাৰৰ লক্ষ্য হোৱা উচিত। অৰ্থাৎ ব্যক্তি, বুৰঞ্জী আৰু সাহিত্য— এই ত্ৰিবেনী সংগম হ'লেহে জীৱন-চৰিত সাহিত্যৰ দৰে সমৃদ্ধ, ৰসাল আৰু মনোগ্ৰাহী হয়।

আমাৰ জীৱনী লেখকসকলৰ বীৰপূজাৰ মনোভাব আৰু আদৰ্শাত্মক দৃষ্টি প্ৰশংসনীয়, কিন্তু সেই অনুপাতে বস্তু বিশ্লেষণৰ নিৰপেক্ষতা সন্তোষজনক নহয়। আমাৰ সাহিত্যত ঐতিহাসিক বস্তুনিষ্ঠ আৰু মনোবৈজ্ঞানিক বিশ্লেষণৰ ধাৰা অনুসৰণ কৰি আৰু নতুন নতুন দৃষ্টিভংগী তথা মূল্যমান অনুযায়ী বিভিন্ন দৃষ্টকোণৰ পৰা বিচাৰ কৰি জীৱনী ৰচনাত মনোনিৱেশ কৰা হোৱা নাই। পাশ্চাত্যৰ জীৱনীকাৰ লিটন ষ্ট্ৰেচী, আঁদ্ৰে মৰোৱা, ষ্টিফেন জাইগ্, এমিল লাডউইগ আদিয়ে বীৰপূজাৰ মনোভাব সম্পূৰ্ণ নকৰিও বস্তুনিষ্ঠ জীৱনী ৰচনা কৰিছে।

আমাৰ সাহিত্যত আজিলৈকে এই বিভাগটোৱে অগ্ৰগতি লাভ কৰিব নোৱাৰাৰ কাৰণ বহুতো। কিন্তু জলজল পটপট কাৰণটো হ'ল এই যে আমাৰ জীৱনী-লেখকসকলৰ উৎসাহ, উদ্যম, পৰিশ্ৰম ক্ষমতা আৰু নিষ্ঠাৰে লাগি থাকিব পৰা গুণৰ একান্ত অভাৱ। পশ্চিমীয়া সাহিত্যত এনেকুৱা অনেক জীৱনী পুথি ৰচয়িতাৰ নাম আছে যিসকলে একোখন জীৱন-চৰিত লেখিবৰ উদ্দেশ্যে একোটি জীৱনপাত কৰিছে, একোখন চিঠি পৰ্যন্ত উদ্‌ঘাটনৰ অৰ্থে বিস্তৃতভাৱে ভ্ৰমণ আৰু অনুসন্ধান কৰিছে, একোটি ঘটনাৰ পৰ খেদি তথ্য-তত্ত্ব আৱিষ্কাৰৰ বাবে বিভিন্ন ব্যক্তিক সাক্ষাৎ কৰিছে, এইদৰে যথেষ্ট পৰিশ্ৰম আৰু অনুসন্ধিৎসাৰ ফলতহে তেওঁলোকে একোখন স্থায়ী কীৰ্তিসম্পন্ন জীৱনী ৰচনা কৰিব পাৰিছে। কিন্তু সেইবুলি অকল অমানুষিক পৰিশ্ৰমৰ ফলতেই যে এখন উৎকৃষ্ট জীৱনী ৰচিত হ'ব সেইটো নহয়। লিটন ষ্ট্ৰেচিয়ে কোৱাৰ দৰে— 'পৰ্বতাকাৰকৈ কণী এদম গোটাই থ'লেই যিদৰে অমলেট নহয়, তথ্য-পাতি, দলিলপত্ৰ আদি সংগ্ৰহ কৰি থ'লেই জীৱনী নহয়'; অৰ্থাৎ পাকৈত ৰান্ধনীৰ আৱশ্যক। এই ৰন্ধনকাৰ্য সহজসাধ্য নহয়। আকৌ লিটন ষ্ট্ৰেচীৰ ভাষাতেই 'এটা মহৎ জীৱন যাপন কৰা যিদৰে টান কাম, এখন নিখুঁত আৰু মহৎ জীৱন-চৰিত ৰচনা কৰাও প্ৰায় সিমানেই টান কাম।'

জীৱন-চৰিতকাৰৰ কি কি গুণ থাকিব লাগে?— এই সম্বন্ধে অলপ আলচ কৰা যাওক। যাৰ জীৱনী লেখা হয় তেওঁৰ ব্যক্তি-জীৱন আৰু কৃতকৰ্মৰ প্ৰতি আন্তৰিক অনুৰাগ, শ্ৰদ্ধা আৰু সেই সম্বন্ধে সবিশেষ জ্ঞান যে লাগিব সেইটো প্ৰধান আৰু প্ৰাথমিক কথা। ইয়াৰোপৰি সমসাময়িক জীৱন আৰু চিন্তাধাৰা সম্পৰ্কেও ভাল ব্যুৎপত্তি জীৱনীকাৰৰ থকা আৱশ্যক। দ্বিতীয়তে, সমাজতত্ত্বৰ লগতে মনস্তত্ত্বৰ জ্ঞান থকাও জীৱনী-লেখকৰ বাবে প্ৰয়োজনীয়। মানৱ প্ৰকৃতি আৰু মানৱ চৰিত্ৰ সম্পৰ্কে গভীৰ অন্তদৃষ্টি থাকিলেহে সাৰ্থক জীৱন-চৰিত ৰচিব পাৰে। তৃতীয়তে, তেওঁ হ'ব লাগিব অনুসন্ধিৎসু; সত্যানুসন্ধানৰ প্ৰতি তেওঁৰ থাকিব লাগিব প্ৰগাঢ় আৰু অবিচল নিষ্ঠা। চতুৰ্থতে, প্ৰত্নতত্ত্ববিদ এগৰাকীৰ দৰেই তেৰোঁ খুঁটি-নাটি খুঁচৰি খুঁচৰি ভিতৰুৱা ৰহস্য আৰু অনাৱিষ্কৃত তথ্য উদ্‌ঘাটন কৰিব পৰা হ'ব লাগিব। পঞ্চমতে, নিৰ্ভীকতা আৰু স্পষ্টবাদিতা জীৱনীকাৰৰ অন্যতম গুণ। ষষ্ঠতে, জীৱনীকাৰ আত্মনিৰ্লিপ্ত হোৱা উচিত। অৰ্থাৎ নিজে একো বক্তব্য-মন্তব্য পেছ কৰিব নুখুজি ঘটনা আৰু কাৰ্যকলাপকে যথাযথভাৱে উপস্থাপিত কৰা উচিত। আকৌ, অদৰকাৰী কথা বৰ্জন কৰা অথচ দৰকাৰী একো কথা বাদ নিদিয়াৰ প্ৰতিও জীৱনী-ৰচয়িতাই সাৱধান হোৱা দৰকাৰ. সপ্তমতে, কিছু পৰিমাণৰ আবেগ উচ্ছ্বাসে জীৱনীখনক হয়তো আকৰ্ষণীয় কৰি তুলিব পাৰে, কিন্তু ৰচয়িতা অতিমাত্ৰা উচ্ছ্বাস-প্ৰৱণ

বা ভাবপ্ৰৱণ হ'লে জীৱনী বিজ্ঞানসন্মত হৈ নুঠাৰ আশংকা। বীৰপূজাৰ মনোভাব আৰু আদৰ্শাত্মক দৃষ্টিভংগীয়ে জীবনীকাৰক পক্ষপাতদুষ্ট কৰি তুলিব নালাগিব। অষ্টমতে, তেওঁৰ থাকিব লাগিব পৰ্যবেক্ষণ শক্তি, বিশ্লেষণ শক্তি আৰু বিচাৰ ক্ষমতা। নৱমতে, লেখক এজনৰ যাৱতীয় গুণবিশিষ্ট হোৱাত বাদেও জীৱনীকাৰ হোৱা উচিত কথাশিল্পী। জীৱনীকাৰৰ ঐতিহাসিক দৃষ্টিভংগীৰ লগতে এক শৈল্পিক দৃষ্টিভংগী থাকিলেহে জীৱন-চৰিতত ইতিহাসৰ সত্যনিষ্ঠা আৰু উপন্যাসৰ ৰমণীয়তা— এই দুই মণি-কাঞ্চন সংযোগ হয়। দশমতে, সামগ্ৰিকভাৱে জীৱন-জিজ্ঞাসাৰ অস্থিৰ উন্মাদনাৰ দ্বাৰা আলোড়িত নহ'লে আৰু বিশ্ববীক্ষাৰ দ্বাৰা উদ্বুদ্ধ নহ'লে জানো কোনোবাই যথাৰ্থ আৰু সাৰ্থক জীৱনী ৰচনা কৰিব পাৰে?

জীৱন-জিজ্ঞাসা আৰু শৈল্পিক দৃষ্টি— জীৱনীকাৰৰ বাবে অতি আৱশ্যকীয়। শিল্পী নহ'লে কোনেও শিল্পৰ প্ৰকাশ কৰিব নোৱাৰে। জীৱনটোও এটা কলা বা শিল্প। গতিকে এই জীৱনৰ প্ৰকাশো কলাসুলভ ৰচনাশৈলীৰ মাজেদিহে হ'ব পাৰে। আকৌ এই প্ৰসংগতে উল্লেখ যে সৰল আৰু বৈচিত্ৰ্যহীন জীৱনৰ চিত্ৰ অংকন উকা আৰু নিৰস হ'বলৈ বাধ্য। জীনত দ্বন্দ্ব-সংঘাত বা জটিলতা আছেই, তাকে কলাত্মকভাৱে ফুটাই তোলাতেই জীৱনীকাৰৰ কৃতিত্ব।

সাপ্তাহিক নীলাচল, ৩৫৩ সংখ্যা : ১২ নবেম্বৰ, ১৯৭৫ চন

কল্-গাৰ্ল্

জীৱনত এনে কিছুমান ঘটনা ঘটে, যুক্তি বা বুদ্ধিৰে যিবোৰ ব্যাখ্যা কৰিব নোৱাৰি। ধৰক, দহ বছৰ মান ধৰি কোনোবা এজন বিশেষ মানুহৰ কথা আপোনাৰ সমূলি মনতেই পৰা নাছিল, হঠাৎ এদিন মানুহজনৰ কথা কোনো কাৰণ নোহোৱাকৈয়ে আপোনাৰ মনত পৰি গ'ল, আৰু ঠিক সেই দিনাই মানুহজন আচম্বিতে আপোনাৰ ঘৰ ওলালহি। আপোনাৰ কোনোবা এজন আত্মীয় মৰা বুলি আপুনি সপোনতো দেখা পালে, পিচ দিনা সঁচাকৈয়ে তেওঁ মৰাৰ খবৰ আহিল। বিখ্যাত 'টাইটানিক' জাহাজখন যেতিয়া প্ৰথম যাত্ৰাতে সাগৰত ডুবি সকলো যাত্ৰীৰ প্ৰাণ হানি হ'ল, ঠিক সেই দিনাই আমেৰিকাৰ এগৰাকী মহিলাই সপোনত দেখিলে যে তেওঁৰ গিৰিয়েক সাগৰত ডুবি মৰিব ধৰিছে। তেওঁ আছিল টাইটানিক জাহাজৰ অন্যতম যাত্ৰী। পিচত তদন্ত কৰি দেখা গ'ল যে ৰাতি যি মুহূৰ্তত ভদ্ৰ মহিলাই গিৰিয়েক সাগৰত ডুবি মৰা বুলি সপোন দেখি চিৎকাৰ কৰি সাৰ পাই উঠিছিল, ঠিক সেই মুহূৰ্ততে কেবা হাজাৰ মাইল দূৰত সঁচা-সঁচিকৈয়ে টাইটানিক জাহাজখন সাগৰত ডুবিবলৈ আৰম্ভ কৰিছিল আৰু অন্যান্য কেবাশ যাত্ৰীৰ লগতে ভদ্ৰ মহিলাৰ গিৰিয়েকৰো মৃত্যু হৈছিল।

এনে অজস্ৰ ব্যাখ্যাহীন বাস্তৱ ঘটনাৰ বিৱৰণ আৰু বিশ্লেষণ দি আৰ্থাৰ কোৱেষ্টলাৰে The roots of co-incidence নামৰ এখন কিতাপ লেখিছে। তেওঁৰ প্ৰতিপাদ্য বিষয় এয়ে যে মানুহৰ সকলো অভিজ্ঞতাই ইন্দ্ৰিয় সম্ভূত বা ইন্দ্ৰিয় গ্ৰাহ্য নহয়। মানুহৰ বহুতো অভিজ্ঞতাই ইন্দ্ৰিয়াতীত, আৰু সেইবোৰ অভি[illegible] বিশ্বৰ নিয়মাধীন নহয়। আন কথাত ক'বলৈ গ'লে মানুহে এতিয়ালৈকে অৰ্জন কৰা জ্ঞানে জীৱনৰ সকলো ৰহস্য বা সকলো মানৱিক অভিজ্ঞতা ব্যাখ্যা কৰিব পৰা নাই।

আন বহুতো ইংৰাজী শব্দৰ দৰে co-incidence শব্দৰো যথাৰ্থ প্ৰতিশব্দ আমি বিচাৰি পোৱা নাই। আনন্দৰাম বৰুৱাই তেওঁৰ ইংৰাজী-সংস্কৃত অভিধানত এই শব্দৰ সংস্কৃত প্ৰতিশব্দ দিছে 'দৈৱযোগ'। এই শব্দটোৱে মূল ইংৰাজী শব্দৰ আচল অৰ্থ প্ৰকাশ নকৰে। তথাপি অধীক উপযুক্ত শব্দৰ অভাৱত আমি সম্প্ৰতি সেই শব্দটোকে গ্ৰহণ কৰিম।

কিছুদিনৰ আগতে মোৰো তেনে এটা co-incidence বা দৈৱযোগ ঘটিল। ভাৰতৰ এটা সৰ্বাগ্ৰগন্য জ্ঞান চৰ্চা কেন্দ্ৰৰ পৰা মোলৈ এখন নিমন্ত্ৰণী চিঠি আহিল যে তেওঁলোকে আয়োজন কৰা এখন চেমিনাৰত মই যোগ দিব লাগে। অৰ্থাৎ সেই চেমিনাৰত মই অসমক প্ৰতিনিধিত্ব কৰি এটা গুৰু-গম্ভীৰ বিষয়ৰ ওপৰত এটা প্ৰবন্ধ পাঠ কৰিব লাগে। আচলতে তেওঁলোকে এজন শীৰ্ষস্থানীয় অসমীয়া পণ্ডিতক সেই চেমিনাৰলৈ নিমন্ত্ৰণ কৰিছিল। কিন্তু সি যি কাৰণতেই নহওক, তেওঁলোকে সেই পণ্ডিতৰ হা-না কোনো উত্তৰ নাপালে। কিবা এটা সূত্ৰৰ যোগেদি মোৰ নাম তেওঁলোকৰ শ্ৰুতিগোচৰ হ'ল আৰু বিকল্প হিচাবে মোৰ নাম বাছনিত উঠিল। যিটো প্ৰবন্ধ লিখিবলৈ খুব কম পক্ষেও ছয়মাহ সময়ৰ দৰ্কাৰ সেইটো প্ৰবন্ধ লিখিবলৈ এমাহতকৈ কম সময় দি তেওঁলোকে মোক উক্ত চেমিনাৰলৈ নিমন্ত্ৰণ কৰিলে।

co-incidence বা দৈৱযোগো ঘটিল ঠিক সেই সময়তেই। বিসময়ত ওপৰোক্ত গৱেষণা কেন্দ্ৰৰ

চেমিনাৰলৈ মোৰ নিমন্ত্ৰণ আহিল, থিক সেই সময়তে মই পঢ়ি আছিলোঁ আৰ্থাৰ কোৱেষ্টলাৰৰ সদ্য প্ৰকাশিত আন এখন কিতাপ 'The Call-Girls'। কল্-গাৰ্ল্ শব্দৰ অৰ্থ হ'ল ভদ্ৰবেশ্যা। সাধাৰণ বেশ্যাই এখন নিৰ্দিষ্ট ঠাইত দোকান পাতি বহি নিজৰ দেহ বিক্ৰী কৰে। আলু, বেঙেনা বা চাহ-মিঠাইৰ দোকানলৈ গৈ ক্ৰেতাই সেইবোৰ বস্তু কিনাৰ দৰে গ্ৰাহকেও নিৰ্দিষ্ট ঠাইলৈ গৈ নাৰী-মাংস ক্ৰয় কৰে। কিন্তু কল্-গাৰ্ল্সকলৰ কোনো নিৰ্দিষ্ট দেহ-বিপনি নাথাকে। তেওঁলোক ভদ্ৰ সমাজৰ লগত একাকাৰ হৈ মিলি থাকে। কিন্তু জনা লোকে জানে যে বাহিৰত দেখাত তেওঁলোকৰ ৰূপ যিয়েই নহওক কিয় প্ৰয়োজনৰ সময়ত টেলিফোন কৰি খবৰ ল'লেই তেওঁলোক দৌৰি আহে নগদ অৰ্থৰ বিনিময়ত নিজৰ দেহ বিক্ৰী কৰিবলৈ।

কোৱেষ্টলাৰৰ উপন্যাসখনৰ নাম 'কল্-গাৰ্লছ' যদিও তেওঁৰ বিষয়-বস্তু কিন্তু কোনো ভদ্ৰ বেশ্যাৰ কাহিনী নহয়। তেওঁৰ কল্-গাৰ্লছ হ'ল দেশে-বিদেশে নানা চেমিনাৰ আৰু সভা-সমিতিত যোগ দি ফুৰা তথাকথিত পণ্ডিতসকল। আমোদপ্ৰিয়বিলাসী ধনীয়ে যেনেকৈ কিছুসময়ৰ কাৰণে তিৰোতাৰ সান্নিধ্য পাব খুজিলে টেলিফোন কৰিয়েই এগৰাকী কল্-গাৰ্ল্ সংগ্ৰহ কৰিব পাৰে, তেনেকৈ বিদ্যান-সংসৰ্গ পাব বিচৰা বিশ্ববিদ্যালয়, ফাউণ্ডেছনে বা গৱেষণা কেন্দ্ৰবোৰে মাত্ৰ অলপ সময়ৰ জাননী দি টেলিফোন বা টেলিগ্ৰাম এখন কৰিয়েই এনে পণ্ডিত সংগ্ৰহ কৰিব পাৰে। কোৱেষ্টলাৰৰ উপন্যাসত কেনো এখন চেমিনাৰত যোগ দিবলৈ যোৱা দুজন পণ্ডিতে বাছত বহি কথা পাতিছে। তাৰে ভিতৰত এজনে জীৱনত প্ৰথমবাৰৰ কাৰণে এনে নিমন্ত্ৰণ পাইছে। গতিকে তেওঁৰ মনত ভীষণ উত্তেজনা। আনজন কিন্তু সাত ঘাটৰ চেঙেলি। দেশে-বিদেশে নানা চেমিনাৰত যোগ দিয়েই তেওঁৰ জীৱন অতিবাহিত কৰিছে। প্ৰথমজনৰ এটা প্ৰশ্নৰ উত্তৰত দ্বিতীয়জনে কৈছে— "লণ্ডনৰ ছেমিনাৰত মই কি কৰি আছিলো বুলি ভাবিছা? হামিয়াই-হিকটিয়াই কোনোমতে সময়খিনি পাৰ কৰিবলৈ চেষ্টা কৰিছিলোঁ। বক্তাসকলে কি ক'ব সেইবোৰ কথা মই আগতেই জানো, মই কি ক'ম সেই কথাও তেওঁলোকে জানে। তথাপি মই ছেমিনাৰলৈ যাব লাগ হ'ল। কিয়? কাৰণ মই এগৰাকী একাডেমিক কৰ্ল্-গাৰ্ল্। এই বাচৰ যাত্ৰী আমি সকলোৱেই কল্-গাৰ্ল্। এ এটা অভ্যাস বা নিচাত পৰিণত হৈছে। এদিন হঠাতে তুমি কোনোবা বিশ্ববিদ্যালয় বা ফাউণ্ডেশ্যনৰ প্ৰফেশ্যনেল্ বিজিবডি এজনৰ পৰা এটা টেলিফোন কল্ পাবা— "আশা কৰোঁ আপোনাৰ অশেষ কৰ্মব্যস্ততাৰ মাজতো আমাৰ ছেমিনাৰত যোগ দিবলৈ কিছু সময় উলিয়াব পাৰিব; আপোনাক আমাৰ মাজত পালে আমি ধন্য হ'ম; আপোনাক অহা-যোৱাৰ খৰচ আৰু সামান্য মাননি দিয়া হ'ব— ইত্যাদি।

সমগ্ৰ জগত ভ্ৰমি জ্ঞান বিলাই ফুৰা এই পণ্ডিত সকলক কোৱেষ্টলাৰে যেনেকৈ একাডেমিক কল্-গাৰ্ল্ বুলি অভিহিত কৰি তেওঁলোকক নিৰ্মম বিদ্ৰূপৰ চাবুকেৰে কোবাইছে, সিমানখিনি কৰাৰ স্পৰ্দ্ধা মোৰ নাই। কিন্তু সীমাবদ্ধ ব্যক্তিগত অভিজ্ঞতাৰ পৰাও জানো যে বাতৰি কাকতত ডাঙৰ ডাঙৰ আখৰেৰে খবৰ ওলোৱা এই ছেমিনাৰবোৰৰ বেছিভাগেই চৰ্বিত-চৰ্বন কথাৰ মালিহা আৰু ভোজ-ভাত খোৱাৰ বাহিৰে আন একো নহয়। কেইবছৰমানৰ আগতে পঞ্জাবৰ কোনো এখন চহৰত অনুষ্ঠিত সৰ্বভাৰতীয় সাহিত্য সমাৰোহ এটাত যোগ দিয়াৰ দুৰ্ভাগ্য হৈছিল। এটা গুৰু-গম্ভীৰ বিষয়ৰ ওপৰত বিভিন্ন আঞ্চলিক ভাষাত প্ৰতিনিধিত্ব কৰা লেখকসকলে একোটা বক্তৃতা দিয়াৰ কথা আছিল। সভা বহিবৰ সময়ত দেখা গ'ল যে সভাস্থলী প্ৰায় খালী; বক্তাজন আৰু সমাৰোহৰ উদ্যোক্তা সকলৰ বাহিৰে আন বেছিভাগ প্ৰতিনিধিয়েই অনুপস্থিত। কিন্তু ৰাতিৰ ৰাজকীয় ভোজসভাত ইমান মানুহৰ সমাগম হ'ল যে বিৰ দি বাট নোপোৱাৰ অৱস্থা। পিছত অৱশ্যে

জনা গ'ল যে পৰৰ খৰচত ছেমিনাৰ কৰিবলৈ যোৱা এনে বেছিভাগ লোকেই নিজৰ বক্তৃতাটো দিয়াৰ সময়খিনিৰ বাহিৰে আন সময়ত চহৰ ফুৰি সময় কটায়।

এতিয়া আচল কথাটোলৈ আহোঁ। ওপৰত উল্লেখ কৰা গৱেষণা-প্ৰতিষ্ঠানটোৱে মোক বক্তৃতা দিবলৈ নিমন্ত্ৰণ কৰি বক্তৃতাটো যুগুত কৰিবলৈ সময় দিছিল মাত্ৰ একৈশ দিন। আলোচনাৰ কাৰণে যিটো বিষয় ধাৰ্য্য কৰা হৈছিল, সেইটো বিষয়ৰ ওপৰত অধ্যয়ন আৰু চিন্তা-চৰ্চা কৰি একোজন মানুহে গোটেই জীৱন শেষ কৰি দিব পাৰে। গভীৰ অধ্যয়নত উদ্‌গনি যোগোৱা আৰু মৌলিক ভাব-চিন্তাৰ আদান-প্ৰদানৰ সুযোগ কৰি দিয়াটোৱেই এনেবোৰছেমিনাৰৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। সেয়ে যদি হয়, তেন্তে দীঘলীয়া সময় আগত লৈ উপযুক্ত লোক বাছনি কৰি ছেমিনাৰৰ প্ৰস্তুতি কৰা উচিত আছিল; বক্তাসকলকো অন্ততঃ ছমাহ সময় তেওঁলোকৰ বক্তৃতা প্ৰস্তুত কৰিবলৈ দিব লাগিছিল। এইবোৰ ছেমিনাৰলৈ কোন মানুহক কি বিবেচনাত যে নিমন্ত্ৰণ কৰে সিও এটা দুৰ্বোধ্য ৰহস্যময় সাঁথৰ। বিশেষকৈ অসমৰ নিচিনা দূৰণি-বটীয়া স্বল্প-খ্যাত ঠাইৰ পৰা প্ৰতিনিধি নিৰ্বাচন কৰিব লগা হ'লে অহকাণে পহকাণে গৈ যিসকল লোকৰ নাম উদ্যোক্তাসকলৰ শ্ৰুতিগোচৰ হয়, তেওঁলোকেই সাধাৰণতে বাছনিত উঠে; অথবা যিসকল লোক ইতিমধ্যেই 'কল্‌-গাৰ্ল' চাৰ্কিটত পৰি গৈছে, তেওঁলোকেই আজি দিল্লী, কালি মাদ্ৰাজ, পৰহি মস্কোত ঘূৰি ফুৰে। একোটা বিশেষ বিষয়ৰ ওপৰত কথা ক'বলৈ নিৰ্বাচিত লোকজনৰ বিশেষ যোগ্যতা বা গোটেই জীৱনৰ প্ৰস্তুতি আছে নে নাই, সেইবোৰ কথাও কাচিৎহে ভাবি চোৱা হয়। নিৰ্বাচিত লোকজনেও নিজৰ যোগ্যতাৰ কথা এবাৰো নাভাবি উৰুলীকৃৎ হৈ পোনছাটেই দৌৰ মাৰে। এইখিনিতে আন এবাৰ কথা মনত পৰিছে। এবাৰ আমেৰিকাৰ কোনো এখন চহৰত পণ্ডিতসকলৰ এখন সভা বহিছিল। ঘটনাক্ৰমে তাত আইনষ্টাইনো উপস্থিত আছিল। সভাপতিয়ে তেওঁকো দু-আষাৰ ক'বলৈ অনুৰোধ কৰিলে। আইনষ্টাইনে কিন্তু ক'লে যে যিহেতু আলোচিত বিষয়টো সম্পৰ্কে তেওঁ আগতে একো ভাবি অহা নাই, গতিকে তেওঁ একো ক'ব নোৱাৰে। তাৰ ঠিক ছমাহৰ পিছত উক্ত সভাৰ সভাপতিয়ে আইনষ্টাইনৰ পৰা এখন টেলিগ্ৰাম পালে। আইনষ্টাইনে সেই টেলিগ্ৰামযোগে জনাইছে যে তেওঁ যোৱা ছমাহে চিন্তা-চৰ্চা কৰি উক্ত বিষয়টোৰ ওপৰত তেওঁৰ বক্তৃতা যুগুত কৰিছে, গতিকে এতিয়া তেওঁ বক্তৃতা দিবলৈ প্ৰস্তুত। আমাৰ বেছিভাগ পণ্ডিতেই আইনষ্টাইনতকৈয়ো ডাঙৰ পণ্ডিত, একোটা দুৰূহ বিষয়ৰ ওপৰত প্ৰবন্ধ যুগুত কৰিবলৈকো তেওঁলোকক মাত্ৰ ছঘণ্টা সময় লাগে।

কিন্তু এনে ধৰণৰ পাল-মৰা ছেমিনাৰ পতাৰ উদ্দেশ্য কি? বাটত পাই ধৰি অনা পণ্ডিতৰ হতুৱাই বক্তৃতা দিয়াবলৈ ৰাজহুৱা ধনৰ শৰাধ কৰি সভা-সমিতি বা ছেমিনাৰ পতা হয় কিয়? এই প্ৰশ্নটোৰ উত্তৰ কোৱেষ্টলাৰে তেওঁৰ 'Call-girls' নামৰ কিতাপখনত দিছে— Parkinsons' Law, Foundations have to spend their funds sponsors must find projects to sponsor, programme directors must have programmes to direct ইত্যাদি।

বাতৰি কাকতত ছেমিনাৰ আৰু সভা-সমিতিৰ বাগাড়ম্বৰপূৰ্ণ বিৱৰণ পঢ়ি বা মাহেকে-পষেকে একো একোটা প্ৰতিনিধি দল বিদেশ ভ্ৰমণলৈ যোৱা বুলি শুনি পাঠকসকলে যেন ভোল নাযায়। এইবোৰৰ বেছিভাগেই ফুটুকাৰ ফেন।

ৰাতিপুৱাৰ গুৱাহাটী

চিকিৎসকৰ নিৰ্দেশত মই সদায় ৰাতিপুৱা এঘণ্টা খোজ কাঢ়োঁ। ৰ'দ-বৰষুণ জাৰ-জহ সকলো বতৰতে। প্ৰয়োজনটো ইমান একান্তভাৱে ব্যক্তিগত যে সেই সম্পৰ্কে পাঠকৰ কোনো কৌতুহল থকাৰ কথা নহয়। কিন্তু মোৰ প্ৰাতঃভ্ৰমণৰ দুই-এটা অভিজ্ঞতাই পাঠকসকলক সামান্য ৰস আৰু লগতে চিন্তাৰো খোৰাক দিব পাৰে। সেয়ে এই ভনিতা।

গুৱাহাটী এখন সুন্দৰ চহৰ। মানুহৰ অন্তহীন কু-ৰুচিয়েও এতিয়াও ইয়াৰ সৌন্দৰ্য্য সম্পূৰ্ণৰূপে ক্ষয় কৰি শেষ কৰিব পৰা নাই। সেই সৌন্দৰ্য্যৰ নিম্নতম ৰূপ দেখা যায়, দোকমোকালি পৰত— সূৰ্য্যোদয়ৰ ঠিক আগে আগে। কিন্তু ৰাতিপুৱাৰ গুৱাহাটীৰ বাটে বাটে ঘূৰি ফুৰি প্ৰকৃতিৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ কোনো উপায় নাই। কাৰণ প্ৰায় প্ৰতি এক ফাৰ্লং ৰাস্তাৰ অন্তৰে অন্তৰে কিছুমান অৰ্দ্ধমৃত নৰকংকাল পৰি থাকে— শিশু-বৃদ্ধপুৰুষ-তিৰোতা-সকলো ধৰণৰ মানুহ, আৰু সিহঁতৰ গাত প্ৰায়ে উজুটি খাই প্ৰকৃতিৰ সৌন্দৰ্য্য উপভোগ কৰাৰ প্ৰবৃতি তিলমাত্ৰাও বাকী নাথাকে। এই মানুহবোৰ হ'ল গুৱাহাটীৰ ভিক্ষাৰী সম্প্ৰদায়। দিনটো চুঁচৰি-বাগৰি ঘূৰি ফুৰি ৰাতি বাট-পথ নিৰ্জন হোৱাৰ লগে লগে সিহঁতে আহত-মুমূৰ্ষু পশুৰ দৰে ৰাস্তাৰ সোঁ-মাজত পৰি থাকে। ৰাতিপুৱা হোৱাৰ লগে লগে গাত শক্তি থকাবোৰে কোনো মতে উঠি সিহঁতৰ দিনটোৰ 'ওডিচী' আৰম্ভ কৰে, উঠিবলৈ শক্তি নথকাবোৰে গোটেই দিনটো একে ঠাইতে পৰি থাকে।

গুৱাহাটীত বোধহয় খুব বেছি মানুহৰ ৰাতিপুৱা ফুৰাৰ অভ্যাস নাই। কাৰণ যোৱা সাত বছৰ (অন্ততঃ মই ঘূৰি ফুৰা অঞ্চলটো) একে কুৰিজন মানুহক মই ঘূৰি ঘূৰি লগ পাইছোঁ। বেছিভাগেই ফাঁচি বজাৰৰ মাৰোৱাৰী ভদ্ৰলোক। স্বাভাৱিকতে আন বহুততকৈ তেওঁলোকৰ খোজ কঢ়াৰ প্ৰয়োজন বেছি।

এদিনৰ ঘটনা কওঁ— যিটো ঘটনাৰ প্ৰায়েই পুনৰাবৃত্তি হয়। কটন কলেজৰ এডমিনিষ্ট্ৰেটিভ বিলডিঙৰ ওচৰৰ চাৰি আলিটোৰ ফুটপাথত বুকুত এটা অৰ্দ্ধমৃত কেঁচুৱাৰ সৈতে এজনী অৰ্দ্ধনগ্ন কংকালসাৰ তিৰোতা পৰি আছে। দেখিলেই বুজিব পাৰি যে তাই বহুত দিন খাবলৈ পোৱা নাই। সিফালৰ পৰা তিনিজন মাৰোৱাৰী ভদ্ৰলোক ফুৰিবলৈ আহিছে। তেওঁলোকৰ এজনে কিবা এটা দুৰ্বোধ্য শব্দ কৰি কাৰোবাক মতা যেন শুনি মই কৌতূহলী হৈ থমকি ৰ'লোঁ। ৰাস্তাত পৰি থকা ভিখাৰীজনী আৰু মোৰ বাহিৰে তৃতীয় কোনো জনপ্ৰাণী মোৰ চকুত পৰা নাছিল। মাৰোৱাৰী ভদ্ৰলোকজনে তেনেকৈ চিঞৰি চিঞৰি আমাৰ ওচৰত প্ৰায় থমকি ৰ'ল আৰু জেপৰ পৰা কিবা এটা টোপোলা উলিয়ালে। একে সময়তে মোৰ আৰু ভিখাৰীজনীৰ দৃষ্টি তেওঁৰ ফালে আকৃষ্ট হ'ল। মোৰ দৃষ্টিত মৃদু কৌতূহল, ভিখাৰিনীজনীৰ দৃষ্টিত ক্ষুধাতুৰ কাতৰতা। এক মুহূৰ্ত মাত্ৰ— তাৰ পিছতেই আমি দুয়ো বুজি পালোঁ যে মাৰোৱাৰী ভদ্ৰলোকজনৰ একাগ্ৰ মনোযোগৰ লক্ষ্য হ'ল ৰাস্তাৰ বিপৰীত ফালৰ পৰা আহিব ধৰা এজনী হৃষ্ট-পুষ্ট গাই গৰু। টোপোলাটোৰ পৰা এখন ডাঙৰ ৰুটী উলিয়াই তেওঁ গাইজনীক খুৱালে আৰু তাইক এটা প্ৰণাম কৰি পুনৰ নিজ বাটত আগবাঢ়িল। মোৰ বুজিবলৈ বাকী নাথাকিল যে প্ৰাতঃভ্ৰমণৰ যোগেদি স্বাস্থ্য সাধনাৰ আৰু গো-পূজাৰ যোগেদি মোক্ষ সাধনা- এই দুইটা ব্ৰত মাৰোৱাৰী ভদ্ৰলোকজনে একেলাগে পালন কৰিছে।

হৃষ্ট-পুষ্ট গাইজনীয়ে ৰাস্তাৰ সোঁমাজত থিয় হৈ পৰম নিষ্ঠাৰে ৰুটী পাগুলিবলৈ ধৰিলে আৰু ফুটপাথত পৰি থকা কংকালসাৰ তিৰোতাজনীয়ে কোটৰগত দৃষ্টিৰে সেই দৃশ্য চাই থাকিল। মই মাৰোৱাৰী ভদ্ৰলোকজনৰ পিচে পিচে পুনৰ খোজ কাঢ়িবলৈ আৰম্ভ কৰিলোঁ। বাটত আমি আৰু কেবাজনীও গাই গৰু লগ পালোঁ। সিহঁতে প্ৰত্যেকেই মাৰোৱাৰী ভদ্ৰলোকৰ পৰা পালে একোখন ৰুটী আৰু একোটা প্ৰণাম। আমি কেবাটাও অৰ্দ্ধ-মৃত নৰকঙ্কাল দেখা পাইছিলোঁ। চহৰৰ ৰাস্তাৰ উদণ্ডীয়া গৰুক ৰুটী বিলাই ফুৰা সেই পুণ্যাৰ্থ ভদ্ৰলোকজনৰ দৃষ্টিত সিহঁত আছিল ৰাস্তাৰ শিলগুটিৰ দৰেই প্ৰাণহীন বস্তু-পিণ্ড মাত্ৰ।

মুছলমানৰ মৰ্ম-বেদনা

পৃথিবীৰ সকলো দেশতে সংখ্যালঘু শ্ৰেণীৰ লোকসকল কম-বেছি পৰিমাণে নানা অসুবিধাৰ সন্মুখীন হয়। অবশ্যে সংখ্যালঘু বুলিলে কেৱল ধৰ্মীয় সংখ্যালঘুকে ই বুজাব নালাগে। দেশভেদে, অৱস্থাভেদে, ধৰ্মীয় আৰু জাতিগত সংখ্যালঘু শ্ৰেণীৰ লোকসকলৰ বিভিন্ন সমস্যাই বিভিন্ন ৰূপ লয়। ঠিক এই মুহূৰ্তটো আমেৰিকাৰ নিগ্ৰো, ৰুছিয়াৰ ইহুদী, ইৰাকৰ কুৰ্ড, আয়াৰলেণ্ডৰ প্ৰটেষ্টান, কানাডাৰ ফৰাচী আদি বিভিন্ন সংখ্যলঘু লোকসকলৰ সমস্যা আধুনিক পৃথিবীৰ জীৱন্ত সমস্যা আৰু সামাজিক উত্তেজনাৰ উৎহ হৈ আছে। এক আদৰ্শ সচ্চৰিত্ৰ সমাজ গঢ়ি নুঠালৈকে আৰু তেনে সমাজক মানুহে সংকীৰ্ণ গোষ্ঠীগত আনুগত্যৰ বন্ধন অতিক্ৰম কৰি কেৱল মানুহ বুলি পৰিচিত হ'ব নোৱাৰালৈকে সংখ্যালঘু শ্ৰেণীৰ লোকসকলৰ সমস্যা স্থায়ীভাৱে সমাধান হোৱাৰ কোনো আশা নাই।

কিন্তু সভ্যতাৰ অন্যতম মাপকাঠি হ'ল সংখ্যালঘু সমস্যা সমাধানৰ ক্ষেত্ৰত বিভিন্ন দেশে বা সমাজে দেখুৱাব পৰা কৃতকাৰ্য্যতা। আধুনিক গণতান্ত্ৰিক ব্যৱস্থাত সংখ্যালঘুসকলৰ স্বাৰ্থৰক্ষা সংখ্যাগুৰু শ্ৰেণীৰ এটা প্ৰধান নৈতিক দায়িত্ব। টমাছ জেফাৰছনে কৈ গৈছিল— "এই কথা ঠিক যে ৰাষ্ট্ৰ পৰিচালনাৰ সকলো ক্ষেত্ৰতে সংখ্যাগুৰু লোকসকলৰ ইচ্ছাই ৰজিব; কিন্তু সেই ইচ্ছা বিধিসংগত বুলি প্ৰমাণিত হ'বলৈ হ'লে সি প্ৰথমে নিশ্চয় যুক্তিসংগত হ'ব লাগিব। সেইদৰে সংখ্যালঘুসকলৰো সমান অধিকাৰ আছে, আৰু [illegible] আইনে সেই অধিকাৰ ৰক্ষা কৰিব লাগিব। তাক উলংঘা কৰাৰ অৰ্থ হ'ব সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত নিৰ্য্যাতন।" আন কথাত ক'বলৈ গ'লে একমাত্ৰ যুক্তিবাদিতা, ন্যায়বোধ আৰু মৌলিক মানবীয় অধিকাৰবোধৰ ওপৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰ বা সমাজ-ব্যৱস্থাইহে সংখ্যাগুৰু আৰু সংখ্যালঘু উভয় শ্ৰেণীৰে স্বাৰ্থ সমানে ৰক্ষা কৰি দুয়ো শ্ৰেণীৰ মাজত শান্তি, সোহাৰ্দ্য আৰু বুজা-বুজি স্থাপন কৰিব পাৰে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰি ধৰ্ম-নিৰপেক্ষতাৰ নীতিক ৰাষ্ট্ৰীয় আদৰ্শ হিচাবে গ্ৰহণ কৰাৰ ২৭ বছৰৰ পিছতো আমাৰ দেশৰ পৰা সাম্প্ৰদায়িকতাৰ সমস্যা সম্পূৰ্ণ ৰূপে দূৰীভূত হোৱা নাই, বৰং সি আগতকৈ বাঢ়িছেহে। তাৰ কাৰণে সংখ্যাগুৰু আৰু সংখ্যলঘু দুয়োটা সম্প্ৰদায়েই নিশ্চয় কম-বেছি পৰিমাণে দায়ী। কিন্তু এটা কথা নিশ্চয় স্বীকাৰ কৰিব লাগিব যে ভাৰতৰ সৰ্ব-প্ৰধান সংখ্যালঘু সম্প্ৰদায় মুছলমানসকলৰ মাজত অসন্তোষ আৰু অস্থিৰতা বৃদ্ধি পোৱাৰ এটা প্ৰধান কাৰণ হ'ল এয়েই যে অৰ্থনৈতিক সা-সুবিধা আৰু কৰ্ম-সংস্থানৰ ক্ষেত্ৰত সৰ্বসাধাৰণ মুছলমান ৰাইজৰ প্ৰতি যথেষ্ট অন্যায় আৰু বৈষম্যমূলক আচৰণ কৰা হৈছে। উচ্চ শ্ৰেণীৰ কেইজনমান বছা বছা মুছলমান লোকক ৰাষ্ট্ৰৰ বহুতো উচ্চ পদত নিয়োগ কৰা হৈছে সঁচা, কিন্তু তাৰ দ্বাৰা বহিৰ্জগতত ভাৰত ৰাষ্ট্ৰৰ চেক্যুলাৰ চৰিত্ৰ প্ৰচাৰ কৰাৰ সুবিধা হোৱাৰ বাহিৰে সৰ্বসাধাৰণ মুছলমান লোকৰ একো উপকাৰ হোৱা নাই। সমাজৰ কোনো এক বিশেষ শ্ৰেণীৰ লোকৰ প্ৰতি ৰাষ্ট্ৰই নিজৰ দায়িত্ব যথাযথভাৱে পালন কৰিছেনে নাই সেই কথা প্ৰধানকৈ নিৰ্ভৰ কৰে সেই শ্ৰেণীৰ লোকৰ অৰ্থনৈতিক সমস্যাৰ সমাধানৰ ওপৰত। এইটোৱেই যদি মাপকাঠি হয়, তেন্তে নিশ্চয় ক'ব লাগিব যে সংখ্যালঘু মুছলমানসকলৰ প্ৰতি ৰাষ্ট্ৰই নিজৰ দায়িত্ব পালন কৰা নাই আৰু মুছলমানসকলক প্ৰকৃতপক্ষে

দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিছাবে ব্যৱহাৰ কৰা হৈছে। ভাৰতত মুছলমানৰ জনসংখ্যা প্ৰায় ৬ কোটি, অৰ্থাৎ মুঠ জনসংখ্যাৰ প্ৰায় ৯ ভাগৰ এভাগ। কিন্তু কৰ্ম সংস্থানৰ ক্ষেত্ৰত দেখা যায় যে ১৯৬৫ চনত সৰ্ব মুঠ ২১০০ জন আই. এ. এছ. বিষয়াৰ ভিতৰত মুছলমান আছিল মাত্ৰ ১১১ জন; ২৭০ জন আই. এফ. এছ. বিষয়াৰ ভিতৰত মুছলমান মাত্ৰ প্ৰায় ১২ জন; ১২০০ আই. পি. এছ. বিষয়াৰ ভিতৰত মুছলমান ৪৩ জন; চেণ্ট্ৰেল চেক্ৰেটাৰিয়েট চাৰ্ভিচৰ উচ্চতম দুটা গ্ৰেডৰ ৬৮১ জন বিষয়াৰ ভিতৰত মুছলমান মাত্ৰ ৬ জন; তাৰ তলৰ গ্ৰেডৰ ২০০০ জন বিষয়াৰ ভিতৰত মুছলমান ৪ জন; ৯৯০০ জন কেৰাণীৰ ভিতৰত মুছলমান ২১ জন। এই গোটেইবোৰ হ'ল ১৯৬৫ চনৰ হিচাব। তাৰ পিচৰ পৰা যোৱা কেই বছৰমানত অৱস্থাৰ বিশেষ উন্নতি হৈছে বুলি ধাৰণা নহয়।

(—শ্ৰীইন্দৰ মেলহোত্ৰা ঃ ইলাষ্ট্ৰেটেড্ উইকলী অৱ্ ইণ্ডিয়া, ২২-৪-১৯৭৩)

চেক্যুলাৰ ভাৰত চৰকাৰৰ নিয়োগ ব্যৱস্থাতেই মুছলমানৰ এই অৱস্থা; তেনে স্থলত পৰম্পৰাগতভাৱে মুছলমান বিদ্বেষী আৰু সাম্প্ৰদায়িকতাবাদী যি শ্ৰেণীৰ ব্যক্তিগত ব্যৱসায়ী আৰু উদ্যোগপতিৰ হাতত দেশৰ অৰ্থনৈতিক ক্ষমতা কেন্দ্ৰীভূত হৈ আছে, তেওঁলোকৰ পৰা মুছলমানসকলে কি ধৰণৰ সহানুভূতি আৰু সুবিচাৰ আশা কৰিব পাৰে, সেই কথা কল্পনা কৰা টান নহয়। মুঠতে যি কোনো নিৰপেক্ষ দৃষ্টি-ভংগীৰ লোকেই স্বীকাৰ কৰিব যে অৰ্থনৈতিক সা-সুবিধা আৰু কৰ্ম-সংস্থানৰ ক্ষেত্ৰত ভাৰতীয় মুছলমানসকল বৈষম্য-মূলক আচৰণৰ অসহায় বলি হৈ থাকিব লগা হৈছে, আৰু ফলত তেওঁলোকৰ মনত অসন্তোষৰ তুঁহ-জুই জ্বলিব লাগিছে।

অসমৰ মুছলমানসকলৰ অৱস্থাও তথৈবচ। সংখ্যাৰ জোৰত তেওঁলোকে ৰাজনীতিত হয়তো কিছু সুবিধা কৰিব পাৰিছে, কিন্তু অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত তেওঁলোকৰ অগ্ৰগতিৰ পথ সকলো ফালে বন্ধ হৈ পৰিছে। অসমৰ বে-চৰকাৰী খণ্ডৰ চাকৰি-বাকৰিত কোনো অসমীয়া মানুহেই প্ৰাপ্য সুবিচাৰ নাপায়। অসমীয়া মানুহৰ কাৰণে একমাত্ৰ নিৰ্ভৰযোগ্য নিয়োগকৰ্ত্তা হ'ল চৰকাৰ। কিন্তু মুছলমান লোকসকল অসমৰ মুঠ জনসংখ্যাৰ এক-চতুৰ্থাংশ হোৱা সত্ত্বেও চৰকাৰী চাকৰি-বাকৰিত তেওঁলোকৰ সংখ্যা নগণ্য। মধ্যবিত্ত শ্ৰেণীৰ যিসকল মুষ্টিমেয় ডেকা ডাক্তৰ আৰু ইঞ্জিনিয়াৰ হৈ ওলাইছে, তেওঁলোকৰ বাহিৰে যিবোৰ সৰু-সুৰা সাধাৰণ চাকৰিৰ ওপৰত সৰ্বসাধাৰণ ৰাইজ নিৰ্ভৰ কৰি চলে, সেইবোৰ চাকৰিত মুছলমান সমাজৰ লোকে কেতিয়াও প্ৰাপ্য সুবিচাৰ নাপায়। উদাহৰণ স্বৰূপে, সম্প্ৰতি 'আধা-নিযুত লোকৰ কৰ্ম সংস্থান আঁচনিত' অসমত যি চাৰি হাজাৰটা বৃত্তিভোগী শিক্ষকৰ পদ সৃষ্টি কৰা হৈছে, সেই চাকৰিও মুছলমান ডেকাৰ ভাগত ইমান কম পৰিছে যে তাক নগণ্য বুলিয়েই ক'ব পাৰি। ঠিকা-ঠুকলি আৰু মহল আদি পোৱাৰ ক্ষেত্ৰতো মুছলমান লোকসকলৰ প্ৰতি ন্যায় বিচাৰ কাচিৎহে নিয়ম, প্ৰায়েই সি ব্যতিক্ৰম। কিছুদিন আগলৈকে অসমৰ উপায়ুক্ত সকলৰ ভিতৰত এজনো মুছলমান নাছিল, এতিয়া দৰবত দিবলৈ কোনোমতে এজন হৈছে। মুছলমান লোকসকলৰ প্ৰতি চৰকাৰৰ মনস্তত্ত্ব বুজিবলৈ মাত্ৰ এটা উদাহৰণেই যথেষ্ট হ'ব। অসমত সম্প্ৰতি যোল্লখন কৰ্পোৰেশ্যন বা নিগম আছে। সেই যোল্লখন নিগমৰ সঞ্চালক-মণ্ডলীত মুছলমান সদস্য আছে মাত্ৰ এজন। অথচ মুছলমান লোকসকল অসমৰ মুঠ জন-সংখ্যাৰ চাৰি ভাগৰ এভাগ।

সম্প্ৰতি চৰকাৰৰ পৃষ্ঠপোষকতাত বিভিন্ন পিছপৰা সম্প্ৰদায় উন্নতিৰ সা-সুবিধাৰ দাবীত আন্দোলনৰ

পথত আগবাঢ়িছে। কিন্তু মুছলমান লোকসকলে আন্দোলন কৰা দূৰৰ কথা, ক্ষীণ কণ্ঠস্বৰেৰে নিজৰ মৰ্ম-বেদনা প্ৰকাশ কৰিলেও সাম্প্ৰদায়িকতাবাদী বুলি ধমকি দি তেওঁলোকৰ কণ্ঠ ৰোধ কৰি দিয়া হয়। অথচ কাৰোবাৰ যদি চাবলৈ চকু আছে, তেন্তে তেওঁ দেখিব যে মুছলমান লোকসকলেই, বিশেষকৈ ন-অসমীয়া লোকসকল অসমৰ আটাইতকৈ অনুন্নত, অবহেলিত আৰু হতাশগ্ৰস্ত জন-গোষ্ঠীৰ অন্যতম। চৰকাৰে যদি কেৱল ৰাজনৈতিক উদ্দেশ্যে নিতান্তই যান্ত্ৰিক দৃষ্টিভংগীৰে পিচপৰা শ্ৰেণীৰ সমস্যাৱলীৰ বিচাৰ কৰিব নোখোজে, তেন্তে মুছলমান লোক সকলকো কিছু বছৰৰ কাৰণে পিছপৰা সম্প্ৰদায়ৰ তালিকাত ভুক্ত কৰা উচিত।

বিশ্বস্ত সূত্ৰে আমি জানিব পাৰিছোঁ যে চৰকাৰৰ বৈষম্যমূলক আচৰণত অতিষ্ঠ হৈয়েই মুছলমান লোকসকলে মুছলমান এম. এল. এ. আৰু মন্ত্ৰীসকলক পদত্যাগৰ দাবীত আন্দোলন আৰম্ভ কৰাৰ চিন্তা কৰিছে। কেনেবাকৈ এনে এটা আন্দোলন আৰম্ভ হ'লেই ভাৰতৰ ৰাজনৈতিক জীৱনত এক নতুন জটিলতাৰ সৃষ্টি হোৱাৰ সম্ভাৱনাই অধিক আৰু ইয়াৰ বাবে পোনপ্ৰথমে চৰকাৰেই জগৰীয়া হ'ব। মুছলমান লোকসকলৰ অৱদমিত ক্ষোভ-আশংকাই এটা উদগিৰণমুখী আগ্নেয়গিৰিত পৰিণত হোৱাৰ পৰিস্থিতি দেখা দিছে। সময় থাকোঁতেই সেই উদ্গীৰণ বন্ধ কৰিবলৈ মুছলমান লোকসকলৰ যুক্তি-যুক্ত অভিযোগবোৰ দূৰ কৰিব লাগিব আৰু তেওঁলোকৰ ন্যায্য আশা-আকাংক্ষাবোৰ পূৰ কৰাৰ লগতে সংখ্যাগুৰু সম্প্ৰদায়েও সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতি নিজৰ নৈতিক দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি আহিব লাগিব। সংখ্যাগুৰু সম্প্ৰদায়ৰ লোকসকলে সংখ্যালঘু সম্প্ৰদায়ৰ উচিত প্ৰয়োজনসমূহ পূৰণৰ ক্ষেত্ৰত মাত মাতিলেহে আমাৰ দেশত সাম্প্ৰদায়িক ভাবধাৰাই মূৰ দাঙিবলৈ সুযোগ নাপাব।

সাপ্তাহিক নীলাচল, ৩৫৮ সংখ্যা ঃ ১৭ ডিচেম্বৰ, ১৯৭৫ চন

মুক্ত তিৰোতা

মানুহ এনে এটা জটিল জীৱ যে তেওঁৰ কোনো সমস্যাৰেই সহজ সমাধান নাই। বৰং দেখা যায় যে এটা সমস্যাৰ সমাধান কৰিবলৈ গৈ মানুহে আন দহটা নতুন সমস্যাৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে, যন্ত্ৰ-পাতি আৰু কল-কাৰখানাৰ আৱিষ্কাৰ মানৱ-সভ্যতাৰ বিকাশৰ পৰিচায়ক। যন্ত্ৰ-সভ্যতাই কোটি কোটি মানুহক অমানুষিক শাৰীৰিক শ্ৰমৰ দাসত্বৰ পৰা মুক্তি দিছে। কিন্তু যি কল-কাৰখানা মানুহৰ জীৱনলৈ এদিন আশীৰ্বাদ স্বৰূপে আহিছিল, সিয়েই এতিয়া মানৱ-জাতিৰ অভিশাপত পৰিণত হোৱাৰ আশংকা দেখা গৈছে। অত্যধিক শিল্পোন্নয়নৰ ফলত পৃথিৱীৰ জলবায়ু এনেভাৱে দূষিত হৈ পৰিছে যে ৰুচ-বিজ্ঞানী আঁদ্ৰে ছাখাৰভে মানৱ জাতিৰ সম্ভাব্য বিনাশৰ চাৰিটা প্ৰধান কাৰণৰ ভিতৰত ইয়াকো এটা ডাঙৰ কাৰণ বুলি উল্লেখ কৰিছে।

ঠিক সেইদৰে বিভিন্ন ধৰণৰ ৰোগ-মহামাৰী আছিল মানৱ জাতিৰ এটা প্ৰধান শত্ৰু। উন্নত চিকিৎসা বিজ্ঞানৰ সহায়ত মানুহে এই শত্ৰুক প্ৰায় পৰাভূত কৰিছে। কিন্তু তাৰ লগে লগে উদ্ভৱ হৈছে আন এটা ডাঙৰ সমস্যাৰ। পৃথিৱীৰ পৰা ৰোগ-ব্যাধি প্ৰায় নিৰ্মূল হোৱাৰ ফলত এনে অবিশ্বাস্য দ্ৰুত-গতিৰে জনসংখ্যা বাঢ়িবলৈ ধৰিছে যে আৰু কিছুদিনৰ ভিতৰতে পৃথিৱীয়ে মানুহৰ ভৰ সহিব নোৱৰা হৈ পৰিব বুলি বিজ্ঞানীসকলে আশংকা কৰিছে।

অৱশ্যে ইয়াৰ অৰ্থ এই নহয় যে মানুহে যন্ত্ৰ-পাতিৰ সহায় ল'ব নালাগে বা ৰোগ-ব্যাধি নিৰ্মূল কৰিব নালাগে। মানুহে কেৱল এই কথাই মনত ৰাখিব লাগে যে মানুহৰ কোনো সমস্যাৰেই চূড়ান্ত সমাধান নাই; এটা সমস্যাৰ সমাধানেই আন দহটা সমস্যাৰ জন্ম দিয়ে। এইটোৱেই হয়তো মানুহ হৈ জন্ম লোৱাৰ যন্ত্ৰণা আৰু গৌৰৱ।

নাৰী-জাগৰণৰ কলৰৱে আজি সমগ্ৰ পৃথিৱী খলক লগাইছে। মানুহৰ নৈতিক আৰু সামাজিক বিৱৰ্তনত তিৰোতাৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ এই আন্দোলন এটা অসামান্য তাৎপৰ্যপূৰ্ণ বৈপ্লৱিক ঘটনা। যিবোৰ নৈতিক আৰু সামাজিক মূল্যবোধৰ ওপৰত যোৱা প্ৰায় পাঁচ হাজাৰ বছৰৰ মানৱ-সভ্যতা তিষ্ঠি আছে, সেই গোটেইবোৰৰে আমূল পৰিৱৰ্তন ঘটাই দিব পৰাৰ সম্ভাৱনা বৰ্তমানৰ এই নাৰী-আন্দোলনৰ মাজত নিহিত আছে। গতিকে এই ক্ষেত্ৰত উৎসাহ আৰু ভাবাবেগৰ আতিশয্যত উটি-ভাহি নগৈ প্ৰতি খোজে খোজে সাৱধান হৈ আগবঢ়াৰ দৰকাৰ আছে। নহ'লে মানুহৰ জীৱনৰ অন্যান্য ক্ষেত্ৰত হোৱাৰ দৰে ইয়াতো এটা সমস্যাৰ সমাধান কৰিবলৈ গৈ আন দহটা সমস্যাৰ সৃষ্টি কৰি লোৱা হ'ব— যাৰ বহুতো লক্ষণ ইতিমধ্যেই পশ্চিমৰ বহুতো দেশত দেখা গৈছে।

তিৰোতাৰ কেতবোৰ মৌলিক দাবী সম্পৰ্কে কোনো বিতৰ্কৰ অৱকাশ নাই। তিৰোতাৰ স্বতন্ত্ৰ ব্যক্তিত্বক স্বীকাৰ কৰি ল'ব লাগিব আৰু সেই ব্যক্তিত্বৰ বিকাশৰ কাৰণে পুৰুষৰ সমানে সমানে সকলো সুযোগ তেওঁ পাবই লাগিব। তেওঁ পুৰুষৰ অধীন নহয়, জীৱনৰ কৰ্মক্ষেত্ৰত তেওঁ পুৰুষৰ সমান অংশীদাৰ। যিবোৰ অৰ্থনৈতিক ষড়যন্ত্ৰৰ দ্বাৰা পুৰুষে যুগ যুগ ধৰি তিৰোতাক শোষণ কৰি সমাজৰ শতকৰা নিৰানব্বৈ গৰাকী তিৰোতাক দাসী আৰু বিবাহিতা বেশ্যাত পৰিণত কৰি ৰাখিছে, সেইবোৰ অৰ্থনৈতিক ষড়যন্ত্ৰৰ অৱসান ঘটিব লাগিব। পুৰুষ আৰু তিৰোতাৰ দোষ-গুণ জোখাৰ মাপকাঠি সদায় একেডালেই হ'ব লাগিব। তাত কোনো বৈষম্যৰ স্থান থাকিব নোৱাৰিব।

কিন্তু নাৰী আন্দোলনৰ বহুতো অত্যুৎসাহী প্ৰবক্তাৰ মতে Emancipated Women বা মুক্ত তিৰোতাৰ সংজ্ঞা ইমানতে সীমাবদ্ধ নহয়। পুৰুষ-তিৰোতাৰ মাজত থকা সকলো ব্যৱধান নিশ্চিহ্ন কৰি নিদিয়ালৈকে তেওঁলোক ক্ষান্ত হ'ব নোখোজে। এইসকল লোকৰ মতে কাম চলিবলৈ হ'লে তিৰোতা এদিন হয়তো সম্পূৰ্ণ মুক্ত হ'ব, কিন্তু তেওঁ আৰু 'তিৰোতা' হৈ নাথাকিব। মানুহৰ কাৰণে ইয়াতকৈ বেছি ভয়ংকৰ দুৰ্দিন কল্পনা কৰিব নোৱাৰি। যিদিনা পৃথিবীৰ 'মুক্ত তিৰোতা'সকলৰ দৃষ্টিত প্ৰেম, মাতৃত্ব, সখ্যতা আদিৰ অনুভূতিবোৰ কেৱল উপহাসৰ বস্তু হ'ব, সেইদিনা মানুহৰ কাৰণে পৃথিৱী মৰুভূমিত পৰিণত হ'ব। আমি বিচাৰোঁ যে তিৰোতাই চৰম আৰ্থিক আৰু সামাজিক মুক্তি লাভ কৰক, কিন্তু তেওঁ 'তিৰোতা' হৈ থাকক। মুক্ত হোৱাৰ বা পুৰুষৰ সমান হোৱাৰ আগ্ৰহৰ অতিশয্যত নাৰীয়ে যদি তেওঁৰ নাৰীত্ব হেৰুৱায়, তেন্তে আটাইতকৈ ডাঙৰ সৰ্বনাশ হ'ব তেওঁৰেই । কাৰণ প্ৰেম আৰু মাতৃত্বৰ বাহিৰে পৃথিৱীৰ বেছিভাগ তিৰোতাৰ কাৰণে জীৱনৰ আন কোনো সাৰ্থকতা নাই, থাকিব নোৱাৰে। ডঃ মুলক্ৰাজ আনন্দৰ 'হেৰুৱা ল'ৰা' নামৰ গল্পত এটা সৰু ল'ৰা দেউতাকৰ লগত এখন মেলালৈ গৈছিল। মেলাত সি যিমান বস্তু দেখে প্ৰত্যেকটোকে তাক লাগে। এনেতে হঠাৎ এবাৰ মানুহৰ হেঁচা-ঠেলাত বাপেক-পুতেক এৰা-এৰি হৈ গ'ল আৰু কোনেও কাকো বিচাৰি নোপোৱা হ'ল। ল'ৰাটোৱে 'দেউতা, দেউতা' বুলি চিঞৰি কান্দিবলৈ ধৰিলে। তেতিয়া মেলাৰ মানুহবোৰে তাক ইটো-সিটো বস্তু দি নিচুকাবলৈ চেষ্টা কৰিলে। কিন্তু দেউতাক লগত থকালৈকে যি ল'ৰাক মেলাৰ অজস্ৰ বস্তুৰ বাহিৰে আন একোকে লগা নাছিল, এতিয়া দেউতাক কাষৰ পৰা নোহোৱা হোৱাৰ লগে লগে তাক দেউতাকৰ বাহিৰে আৰু একোকে নলগা হ'ল।

বহুযুগ ধৰি ন্যায়, সুবিচাৰ আৰু সমানাধিকাৰৰ পৰা বঞ্চিত তিৰোতাক আজি এইবোৰ বস্তুৰ বাহিৰে আন একোকে নালাগে। এই কথা তেওঁ নিশ্চয় ক'ব পাৰে, কাৰণ তেওঁ এতিয়াও পুৰুষৰ কামনাৰ ধন হৈ আছে। কিন্তু মুক্ত আৰু 'পুৰুষৰ সমান' হোৱাৰ আগ্ৰহৰ আতিশয্যাত যদি তেওঁ নিজৰ নাৰীত্বক ধ্বংশ কৰি প্ৰেমৰ ৰহস্যময় দীপ্তি আৰু মাতৃত্বৰ স্বৰ্গীয় অনুভূতিক জীৱনৰ পৰা নিৰ্বাসিত কৰে, তেন্তে এদিন তেওঁ পুৰুষক হেৰুৱাব। সেইদিনা হয়তো ওপৰৰ গল্পটোৰ ল'ৰাটোৰ নিচিনাকৈ পুৰুষৰ বাহিৰে তিৰোতাক আন একো বস্তুৱেই নলগা হ'ব। অৱশ্যে ঠিক একে কথাই পুৰুষৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। মুঠ কথা এয়ে যে তিৰোতাই স্বাধীনতা আৰু সমানাধিকাৰৰ বিচাৰক, কিন্তু তাকে কৰিবলৈ যাওঁতে তেওঁ যেন মানসিক ভাৰসাম্য হেৰুৱাই নেপেলায়।

'আদৰ্শমুক্ত তিৰোতা'ৰ ৰূপ কল্পনা কৰিলেই মাৰ্গাৰেট ৱাইডেমাৰ নামৰ এগৰাকী মহিলা কবিৰ 'The Modern Women to her Lover' নামৰ এটা কবিতা মনলৈ আহে—

I shall not lie to you any more
    Flatter on fawn to attain my end
I am what never has been before.
    Woman- and friend.
I shall be strong as a man is strong
I shall be fair as a man fair
    Hand in locked hand we shall pass along
    To purer air.
I shall not drag at your bridfe rain
    Knee pressed to knee we shall ride the hill
I shall not lie to you ever again
    Will you love me still?

“গঠনমূলক সমালোচনা”

প্লেটোৰ আদৰ্শ ৰিপাব্লিকত কবিৰ কোনো স্থান নাছিল। আধুনিক কালত আদৰ্শ ৰাষ্ট্ৰত সমালোচকৰ স্থানো ক্ৰমে ক্ৰমে সংকুচিত হৈ আহিছে। তাৰ কাৰণে সমালোচকসকলেই নিশ্চয় দায়ী। বাৰ্ণাৰ্ড শ্বই কৈছিল যে যাৰ কিবা এটা কৰাৰ অভিজ্ঞতা আছে, তেওঁ কাম কৰে; যাৰ কোনো ধৰণৰ যোগ্যতা নাই, তেওঁ আনক শিক্ষা দিয়ে। অৱশ্যে শ্বই নিজেই আছিল এই দ্বিতীয় শ্ৰেণীৰ লোকৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন। সি যিকি নহওক নিজে একো নকৰি কেৱল পৰৰ দুখ খুঁচৰি ফুৰা বেছিভাগ লোকেই যে সমালোচকৰ দলত ভীৰ কৰিছেহি, সেই বিষয়ে কোনো সন্দেহ নাই। ফলত সমাজৰ সেৱাত জীৱন পাত কৰা কৰ্মীলোকসকলৰ কাৰণে নিষ্কৰ্মা লোকসকল হৈ পৰিছে চকুৰ কুটা, দাঁতৰ শূল। প্লেটোৱে কবিসকলক তেওঁৰ কল্পনাৰ পাৰ্থিৱ ৰামৰাজ্যৰ পৰাহে নিৰ্বাসিত কৰিছিল, কিন্তু এগৰাকীয়ে সমালোচকক স্বৰ্গত প্ৰৱেশ কৰাৰ অধিকাৰৰ পৰাও বঞ্চিত কৰিছিল। তেওঁৰ Something নামৰ এটা গল্পত পাঁচজন ভাই-ককাইৰ ভিতৰত প্ৰথম চাৰিজনে কিবা নহয় কিবা এটা বৃত্তি বাছি ল'লে— যিবোৰ বৃত্তিত ঘৰ সজা, ৰাস্তা তৈয়াৰ কৰা, ইটা সজা আদি গঠনমূলক কাম কৰা প্ৰয়োজন হয়; কিন্তু পঞ্চমজন হ'ল সমালোচক। মৃত্যুৰ পিছত প্ৰথম চাৰিজনেই স্বৰ্গত প্ৰৱেশ কৰাৰ অধিকাৰ লাভ কৰিলে, কিন্তু পঞ্চমজন অৰ্থাৎ সমালোচকক স্বৰ্গৰ প্ৰৱেশ-পথতে বাধা দিয়া হ'ল। অৱশ্যে সমালোচক সকল দমিবৰ পাত্ৰ নহয়। তেওঁলোকে যুগ যুগ ধৰি এই পৃথিৱীতে স্বেচ্ছাই নৰকৰ পথ বাছি লৈছে।

কিন্তু মান সমালোচকৰ যে নৰকৰ বাহিৰে আন ক'তো স্থান হোৱা উচিত নহয় সেই বিষয়ে কোনো সন্দেহ নাই। এবাৰ মাইকেল এঞ্জেলোৰ ষ্টুডিঅ'লৈ এজন সমালোচক আহিল। সেই সময়ত শিল্পীজন এটা বিখ্যাত মূৰ্ত্তি নিৰ্মাণ কৰাত ব্যস্ত আছিল। সমালোচকজনে তেওঁৰ বৃত্তিসুলভ বক্ৰ-দৃষ্টিৰে মূৰ্ত্তিটো বহুত পৰ ঘূৰি-পকি চাই মন্তব্য কৰিলে যে মূৰ্ত্তিটো ভালেই হৈছে, কেৱল নাকটোত অলপ খুঁত ৰৈ গৈছে; সেইটো ঠিক কৰি দিলেই মূৰ্ত্তিটো নিখুঁত আৰু সৰ্বাঙ্গসুন্দৰ হৈ পৰিব। মাইকেল এঞ্জেলোৱে সমালোচকৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ মান্তি হৈ তেওঁক তলৰ কোঠাত কিছু সময় ৰাখিবলৈ অনুৰোধ কৰিলে। সমালোচকজন ষ্টুডিঅ'ৰ পৰা ওলাই তললৈ নামি যোৱাৰ পিছত মাইকেল এঞ্জেলোৱে মূৰ্ত্তিটোত অকণো হাত নিদি এডোখৰ পৰি থকা শিলত হাতুৰীৰে সশব্দে কোবাবলৈ ধৰিলে আৰু সমালোচকৰ চকুত পৰাকৈ এমুঠি শিলৰ গুৰি তললৈ পেলাই দিলে। কিছু সময়ৰ পিছত তেওঁ সমালোচকজনক ওপৰলৈ মাতি আনি সুধিলে— “এতিয়া মূৰ্ত্তিটো কেনে দেখিছে?” সমালোচকে সন্তুষ্ট আৰু উচ্ছ্বসিত হৈ উত্তৰ দিলে, “এৰা, এতিয়াহে মূৰ্ত্তিটো নিখুঁত আৰু সৰ্বাংগ-সুন্দৰ হ'ল।”

পৃথিৱীৰ বেছিভাগ সমালোচকেই এনেকুৱা।

কিন্তু অবুজনক বুজোৱা আৰু ঢেকৰা ঠাৰি সিজোৱা একে কথা। বেছিভাগ সমালোচকেই গঠনমূলক সমালোচনা কি বস্তু সেই কথা বুজিব নোখোজে। ৰাল্ফ্ ইংগাৰছল্ নামৰ এজন সমালোচকে ওলোটাই কেঁপেৰি পাতি কৈছে, “মই যদি আপোনাৰ হাতত থকা টকাটো জাল টকা বুলি প্ৰমাণ কৰি দিওঁ, তাৰ অৰ্থ

এই নহয় যে মই আপোনাক জাল টকাটোৰ পৰিৱৰ্তে মোৰ নিজৰ জেপৰ পৰা এটা ভাল টকা দিব লাগিব।" ৰাল্‌ফ্ ব্ৰেড্‌ফৰ্ড নামৰ আন এজনে আকৌ কৈছে, "মানুহবোৰে দেখোন নেতিবাচক সমালোচনাৰ বিৰুদ্ধে বৰকৈ হুলস্থূল কৰিবলৈ আৰম্ভ কৰিছে। তেওঁলোকৰ মতে সমালোচনা হোৱা উচিত সদায় গঠনমূলক। কিয় ? বাইবেলৰ 'টেন্ কমাণ্ডমেণ্টছ' বা দশাজ্ঞাৰ কথাকে মনত পেলাওকচোন। তাৰ দহটা আজ্ঞাৰ ভিতৰত নটাই দেখোন নেতিবাচক : অমুকটো নকৰিবা, তমুকটো নকৰিবা- ইত্যাদি। What we need is more men with the courage to sound a loud and resounding 'No'!"

পৃথিৱীত মানুহ থকালৈকে সমালোচক আৰু সমালোচিতৰ এই দ্বন্দ্বৰ অৱসান ঘটাৰ কোনো আশংকা নাই। কিন্তু সমালোচনা যে গঠনমূলক হ'লে বৰ ভাল হয় বা গঠনমূলক হোৱা উচিত, সেই বিষয়ত আমি সম্পূৰ্ণ একমত।

মন্ত্ৰীৰ সৈতে তীৰ্থযাত্ৰা

(এজন সহযাত্ৰী)

উজানগ্ৰাম কাছাৰ জিলাৰ এখন আওহতীয়া গাঁও। চায়েৰ আলী সেই গাঁৱৰেই দুখীয়া খেতিয়ক। তিনি বিঘা মাটিত কপালৰ ঘাম পেলাই খেতি কৰে আৰু পুতেক ফৰিজ মিয়াৰ সৈতে এটা জৰাজীৰ্ণ ঘৰত বাস কৰে। ঘৰৰ ভেটি আৰু খেতিৰ মাটি কোনোটোৱে নিজৰ নহয়, মহাজনৰ।

সেইদিনা আছিল ১৮ ডিচেম্বৰ। দুপৰীয়া। খেতি পথাৰৰ পৰা বাপেক-পুতেক ওলটি আহি জিৰাইছেহি। এনেতে ঘৰৰ চোতালত কোনোবা অহা যেন দেখি দুয়ো ওলাই আহিছিল। চায়েৰ আলীৰ ঘৰলৈ আলহী-দুলহী তেনেকৈ নাহেই। তাতে সেইদিনাৰ আলহী কেইজন গাঁওৰ মানুহ নহয়, কোনোবা অচিনাকি মানুহ। ফৰিজে দৌৰি গৈ ওচৰৰ এঘৰৰ পৰা হাত ভঙা চকি দুখন আনিলেগৈ। আলহী কেইজনে পিছে চকী দুখন একাষৰীয়াকৈ থৈ ধান মেলি দিয়া ঢৰা এখন পাই তাকে পাৰি চোতালত বহিল। চায়েব আৰু ফৰিজ হতবাক। আমি আলহীসকলৰ পিছে পিছে গৈ আছিলোঁ। ফৰিজে আমাৰ ওচৰলৈ একেলৰে আহি সুধিলে— 'কোননো এখেতসকল? নগৰৰ পৰা আহিছেনেকি? শিলচৰৰ পৰা?' আমি চিনাকি কৰি দিলোঁ— 'সেয়া যে ঢাৰিৰ একাষত, তেওঁ শৰৎচন্দ্ৰ সিংহ। অসমৰ মুখ্যমন্ত্ৰী। আৰু ই কেইজন গৃহমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী, সমবায় মন্ত্ৰী আৰু সেয়া বন মন্ত্ৰী।' ফৰিজ খন্তেক সৰগ পৰা মানুহৰ দৰে বৈ থাকিল। পিচত হঁচ আহাত চিঞৰি চিঞৰি গাঁৱলৈ সোমাই গ'ল আৰু খন্তেক পিছত চায়েব আলিৰ নিৰ্জন ঘৰৰ পিৰালি, চোতাল, নঙলামুখত হেন্দোলদোপ লাগি পৰিল। প্ৰথম চিনাকিৰ জড়তা শেষ হ'ল আৰু তাৰ পিছত আৰম্ভ হ'ল সুখ-দুখৰ খবৰৰ আদান-প্ৰদান। চায়েব আলিৰ ঘৰৰ সন্মুখৰ পথাৰতে শাকৰ আঞ্জাৰে দুপৰীয়াৰ সমূহীয়া আহাৰ হ'ল। আহাৰৰ শেষত পথাৰত সৰু সৰু আলিত বহি জিলাৰ নেতা, উচ্চ বিষয়া আৰু মন্ত্ৰীসকলে আলোচনা কৰিলে নানা সমস্যাৰ।

কৰিমগঞ্জলৈ গৈ মুখ্যমন্ত্ৰী সমন্বিতে মন্ত্ৰীৰ দলটোৱে নিশা কটালেগৈ আন এখন ভিতৰুৱা গাঁৱৰ মাইনৰ স্কুলৰ মজিয়াত ধান খেৰৰ বিছনাত। পুৱালৈ গাঁওবাসীৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম। হৃদয় নমশূদ্ৰৰ পিৰালিত বহি, কাৰোবাৰ চোতালত, কাৰোবাৰ নঙলামুখত মন্ত্ৰীদলৰ আলোচনা চলিল। প্ৰথম চমকৰ শেষত গাঁৱৰ ৰাইজেও লঙ্গাই নদীৰ অত্যাচাৰ, কৰিমগঞ্জৰ ধনী বেপাৰীৰ অত্যাচাৰ, মহাজনৰ শোষণৰ খবৰ মন্ত্ৰীসকলক খোলাখুলিকৈ জনালে।

হাইলাকান্দিৰ আইনাখাল বস্তিৰ লোকসকলেহে পিছে একেবাৰে নীৰৱ-নিমাত হৈ গৈছে। টোকোনা খেতিয়ক ৰামৰূপ কুৰ্মীৰ চোতালত মন্ত্ৰীসকলৰ আলোচনাৰ খবৰ শুনি অনেক ৰাইজ তালৈকে আহিছিল। জীৰ্ণ-শীৰ্ণ কাপোৰ পিন্ধা দাৰিদ্ৰ্যই অকালতে বৃদ্ধ কৰা অনেক ৰাইজ। গাঁওখনত ছশ সাতশ দৰিদ্ৰ বনুৱা খেতিয়ক পৰিয়াল, অথচ এটা পৰিয়ালৰ নামটো এহালিচা মাটিও নাই। খেতি কৰে কোনোবাই এবিঘা, কোনোবাই দুবিঘা আৰু তাৰে সিংহভাগটো যায় মহাজনৰ ঘৰলৈ।

কৰিমগঞ্জৰ পৰা হাইলাকান্দিলৈ আহোঁতে বদৰপুৰত অগণন ৰাইজে বাটৰ দাঁতিত মঞ্চ সাজি বৈ আছিল। ৰাইজৰ আদৰ নেওচিব নোৱাৰি মন্ত্ৰীসকল ৰ'ল। মুখ্যমন্ত্ৰীয়ে সেই দুখীয়া ৰাইজক দহমিনিটৰ ভিতৰতে এটা নতুন আত্ম-সন্মানবোধ দান কৰিলে।

কাছাৰৰ গাঁৱে গাঁৱে ইতিমধ্যে বাতৰি বিয়পি পৰিছিল। গাঁৱৰ খেতিয়ক ৰাইজে এটা যেন আকতৰীয়া উছব অহাৰ দৰে অনুভব কৰিছিল। নিশাটোৰ ভিতৰতে ধলেশ্বৰী নৈৰ পাৰে পাৰে অসংখ্য তোৰণে তাঁৰেই

প্ৰমাণ দিলে। হাতত ফুল পাতৰ মালা লৈ পুৱাৰে পৰা ৰাইজ ৰৈ আছে, যি কোনো মুহূৰ্তত এই আচৰিত মন্ত্ৰীৰ দলটো আহি পৰিব পাৰে।

সেই নিশাটো কটাবলৈ মন্ত্ৰীৰ দলটোৱে যেতিয়া খাচপুৰ গাঁও পালেহি, তেতিয়া নিশা এঘাৰটা। পাছ দিনা পুৱা খোজকাঢ়ি গাঁও ফুৰিবলৈ মন্ত্ৰী কেইজনৰ লগত যোৱা ছটফটীয়া শিলচৰৰ ভদ্ৰলোকজনে ফোঁপাই-জোঁপাই কৈছিলহি, 'বাব্বাৰে, বিস্কুট ছটা, মূড়িৰ লাৰু দুটা, চাহ একাপ আৰু নিশা এঘাৰটা। ওহোঁ। এওঁলোকৰ লগত নোৱাৰি আৰু।' ওচৰৰে নওগ্ৰামৰ আদহীয়া খেতিয়ক এজনেও কৈছিল, 'স্কুলঘৰৰ মাটিত খেৰ পাৰি শোৱা কি মন্ত্ৰী এওঁলোক? আগতে শুনো বোলে কিমান ধুনীয়া ধুনীয়া ঘৰত থাকে, কত বান্দী-বেটিয়ে আলপৈছান ধৰে। ওৱা। কথা নাই, বতৰা নাই, গাঁৱৰ বোকা-পানী খচকি...।'

এই ভ্ৰমণক অসমৰ চিন্তাশীলসকলে কেনেদৰে লয় নাজানো। কোনোবাই হয়তো চমক সৃষ্টি কৰাৰ কথা ক'ব, কোনোবাই....। কিন্তু মন্ত্ৰীসকল আৰু গাঁৱৰ ৰাইজ— এই দুটা পক্ষই এই ভ্ৰমণৰ সতে সংযুক্ত থাকিব আৰু সেয়ে তেওঁলোকে কৰা বিচাৰেই হ'ব এই ভ্ৰমণৰ প্ৰকৃত তাৎপৰ্য্য জোখাৰ মাপকাঠী।

চায়েব আলিয়ে কৈছিল, 'আঃ ইমান আনন্দ ইমান আনন্দ!' আৰু কোনো শব্দই চায়েব আলিয়ে বিচাৰি পোৱা নাছিল। কিন্তু তেওঁৰ কণ্ঠস্বৰৰ কঁপনি, গাঁৱৰ সমূহ ৰাইজৰ নীৰৱে দিয়া হয় ভৰ, ফৰিজ মিয়াৰ ভৰিৰ খোজত নতুনকৈ অহা বল— এই সকলোবোৰ আছিল সকলো শব্দতকৈ বেছি সৰব। কোনোবা এজন খেতিয়কে মুখ্যমন্ত্ৰীক কৈছিল, 'আপোনালোকে খবৰ দি আহিব লাগিছিল, আমি তেতিয়া অলপ বন্দোবস্ত....।'

মুখ্যমন্ত্ৰীয়ে কৈছিল, 'তেতিয়া হ'লেতো আপোনালোকক আমি লগেই নপালোঁহেঁতেন। হয়তো তেতিয়া বৰ চাহাবে ইয়াত ৰভা সাজিলেহেঁতেন, ৰভাৰ চাৰি কাষে থকিলহেঁতেন পুলিছ আৰু আমাক ঘেৰি থাকিলেহেঁতেন বৰ বৰ বিষয়াৰ দলে। আপোনালোক ৰভাত সোমাবই নোৱাৰিলেহেঁতেন আৰু ওখ ওখ নেতা বিষয়াৰ ওপৰেদি আপোনালোকক মই আৰু মোক আপোনালোকে মনিবই নোৱাৰিলেহেঁতেন।'

মুখ্যমন্ত্ৰীক আমি সুধিছিলোঁ, 'এই ভ্ৰমণৰ পৰা তেওঁৰ লাভ হোৱা নোহোৱাৰ কথা। মুখ্যমন্ত্ৰীয়ে কৈছিল, 'এটা উদাহৰণ দিওঁ। সুপ্ৰাকান্দিৰ ভিতৰুৱা গাঁও অঞ্চল এটাত দহ হাজাৰ মানুহে বাঁহৰ ঢাৰি সাজে। বিভিন্ন বস্তু-বাহানি ৰপ্তানি কৰোঁতে পেকিং কৰিবলৈ ব্যৱহাৰ হয় এইবোৰ ঢাৰি। নগৰৰ বিয়াগোম মহাজন এজনে তাৰ একচেটীয়া বেপাৰ কৰে, নিজে ঠিক কৰা নামমাত্ৰ দামত সেই ঢাৰিবোৰ কিনি নি কলিকতাৰ বজাৰত বেচেগৈ। দহ হাজাৰ দুখীয়া মানুহ বঞ্চিত হয়। কিন্তু ক'তা? মোক দিছপুৰত কাছাৰৰ নেতা, বিষয়া কোনেও এই সমস্যাৰ কথা কোৱাতো নাই। শিলচৰ, কৰিমগঞ্জৰ চাৰ্কিট হাউচত কাছাৰৰ সমস্যাৰ আলোচনা কৰোঁতেওতো আমি এই সমস্যাৰ কথা শুনা নাই। কাছাৰৰ সমস্যা বুলিলেই আলোচনা কৰিছোঁ আমি মেডিকেল কলেজৰ কথা, ইঞ্জিনিয়াৰিং কলেজৰ কথা, বিমান চলাচলৰ কথা। অথচ এই দহ হাজাৰ মানুহৰ এটা ল'ৰাইও মেডিকেল, ইঞ্জিনিয়াৰিং নালাগে, ভাল স্কুল এখনৰো মুখ দেখা নাই। গাঁৱলৈ গৈছিলোঁ বাবেই এই সমস্যা বুজিলোঁ। সমস্যা এটা বুজি ল'লে সমাধান বেছি দূৰত নাথাকে।

অথবা ধৰা যাওক খাচপুৰৰ কথা। সঁচা কথা, তাৰ দুখীয়া মানুহবোৰে এতিয়া মাটি পাইছে। কিন্তু সেইবোৰ টিলা মাটি। তাৰোপৰি সেই মানুহবিলাক সকলো দিন-মজুৰ, দিনটো শ্ৰম কৰি দিনটো খায়। টিলা মাটিত খেতি কৰোঁতে সেই কেইমাহ তেওঁলোকে নেখাই থাকিবনেকি? এই অসহায় অৱস্থাৰ কথা আমাক গাঁৱৰ মানুহে ক'লে। ইয়াত আহি নক'লোৱেহেঁতেন, কিয়নো ইয়াত আহি সিহঁতৰ মুখৰ মাত হেৰাই যায়। সেই যে শোভনা, শুভ্ৰ, স্মৃতি— সেই সৰু সৰু গাঁৱলীয়া ছোৱালী তিনিজনী! সিহঁতে আহি মোক 'দাদু' বুলি মাতিছিল, এজনীয়ে গান শুনিবলৈ আবদাৰ কৰিছিল, এজনীয়ে সাধু কথা কৈছিল। চাৰ্কিট হাউচত সিহঁতে মোক 'দাদু' বুলি নামাতিলেহেঁতেন, ইমান ওচৰ চাপি নাহিলেহেঁতেন। গাঁৱৰ মানুহখিনিৰো অৱস্থা একেই। খাচপুৰৰ অৱস্থা জানিবলৈ আমি তালৈ যাবই লাগিব। সেই সমস্যাও মই বুজিলোঁ, তাৰ সমাধানো মই আহিয়েই কৰিছোঁহি। তাত এসপ্তাহতে কাম আৰম্ভ হ'ব।

মেৰুদণ্ড পোন কৰি ৰখাৰ প্ৰয়োজন

মেৰুদণ্ড পোন কৰি ৰখাৰ ওপৰত দৈহিক স্বাস্থ্য বহু পৰিমাণে নিৰ্ভৰ কৰে। অজ্ঞতা বা দুৰ্বলতাৰ কাৰণে যিসকল লোকে মেৰুদণ্ড বেঁকা কৰি ৰাখে, তেওঁলোক অকালতে বুঢ়া হয়। কিন্তু দৈহিক স্বাস্থ্যৰ কাৰণে মেৰুদণ্ড পোন কৰি ৰখা যিমান প্ৰয়োজনীয়, নৈতিক আৰু মানসিক স্বাস্থ্যৰ কাৰণে সি হাজাৰ গুণে বেছি প্ৰয়োজনীয়। একপ্ৰকাৰে চাবলৈ গ'লে মানুহৰ ইতিহাস হ'ল মেৰুদণ্ড পোন কৰিবলৈ কৰা চেষ্টাৰ ইতিহাস। একালত মানুহ আছিল অন্যান্য ইতৰ জন্তুৰ দৰে এটা চতুষ্পদী জন্তু মাত্ৰ। যেতিয়াই সি দুই ভৰিৰ ওপৰত থিয় হৈ মেৰুদণ্ড পোন কৰিবলৈ শিকিলে, তেতিয়াই সি মানুহ হ'বলৈ আৰম্ভ কৰিলে। তথাপিতো সমাজৰ বেছি ভাগ মানুহৰ কাৰণে মেৰুদণ্ড সম্পূৰ্ণ পোন কৰি থিয় হোৱা সম্ভৱ নহ'ল। মাত্ৰ কেইজনমান শক্তিমান মানুহে মেৰুদণ্ড পোন কৰি স-গৰ্বে মূৰ তুলি থিয় হ'ল, বাকী লক্ষ্য কোটি মানুহে যুগৰ পিছত যুগ, সতাব্দীৰ পিছত শতাব্দী ধৰি তেওঁলোকৰ সমুখত নতজানু বা ভু-লুণ্ঠিত হৈ ৰ'ল। কেনেকৈ কিমান বেছি সংখ্যক মানুহক মেৰুদণ্ড সম্পূৰ্ণ পোন কৰি থিয় হ'বলৈ শিকোৱা যায়, যুগ ধৰি সেইটোৱেই হৈ আহিছে ইতিহাসৰ সাধনা। কাৰণ যি মানুহে মেৰুদণ্ড সম্পূৰ্ণ পোন কৰি থিয় হ'ব নোৱাৰে, তেওঁ কেতিয়াও সম্পূৰ্ণ মানুহ হ'ব নোৱাৰে। মানুহৰ সমাজত বহু যুগ ধৰি চলি অহা অসমতা কেৱল আৰ্থিক বা সামাজিক অসমতা নহয়। মেৰুদণ্ডৰ ঋজুতা বা বক্ৰতাই সৃষ্টি কৰা অসমতা বহুগুণে বেছি ব্যাপক, বহুগুণে বেছি অ-শ্ৰদ্ধেয় আৰু অপমানজনক। আৰ্থিক বা সামাজিক শ্ৰেণী বৈষম্য নিৰ্মূল কৰিব পাৰি, বহু দেশত ইতিমধ্যে সেইটো কৰা সম্ভৱ হৈছে। কিন্তু আৰ্থিক দাসত্বৰ পৰা মুক্ত হ'লেই যে মানুহ লগে লগে নৈতিক দাসত্বৰ পৰাও মুক্ত হ'ব, তাৰ কোনো নিশ্চয়তা নাই। সেই কাৰণেই আমি অহৰহ চকুৰ আগত দেখিবলৈ পাওঁ, নিজকে সমাজৰ বৰ মানুহ বুলি জাহিৰ কৰা বহুতো ধনী, মানী আৰু ক্ষমতাশালী মানুহেও নানা লোভ-মোহৰ বশৱৰ্তী হৈ কথাই কথাই শক্তিমানৰ ওচৰত নতজানু হয় বা ইমান বেছিকৈ মেৰুদণ্ড বেঁকা কৰি হয় যে সামান্য ঠেলা এটা মাৰিলেই তেওঁ মাটিত মুখ থেকেচা খাই পৰি যাব। এইসকল লোকে পাহৰি যায় যে যি মানুহে মূৰ তুলি লগৰ আন এজন মানুহৰ মুখৰ ফালে চাব নোৱাৰে, তেওঁৰ চকু যায় কেৱল ভৰিৰ ফালে। আনৰ ভৰিতেই যাৰ দৃষ্টি সদায় নিবদ্ধ, তেওঁৰ বুদ্ধি, ক্ষমতা আৰু ধন-বৈভৱ আদি আন সকলো সম্পদেৰে সম্পদশালী হ'লেও মানুহৰ সৰ্বশ্ৰেষ্ঠ সম্পদ মানবিক মৰ্য্যাদাবোধ আৰু নৈতিক মহত্ত্বৰ পৰা সম্পূৰ্ণ বঞ্চিত। এনে মানুহ আনৰ আতংকৰ কাৰণ হ'ব পাৰে, কিন্তু তেওঁ কেতিয়াও কাৰো শ্ৰদ্ধাৰ পাত্ৰ হ'ব নোৱাৰে।

আমাৰ দেশত সম্প্ৰতি মানুহৰ আৰ্থিক দাৰিদ্ৰ্য দূৰ কৰি জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ সৰ্বাঙ্গিন চেষ্টা চলিছে। জাতিৰ সন্মুখত এতিয়া সেইটোৱেই যে আটাইতকৈ ডাঙৰ কৰ্তব্য, সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু জীৱন-ধাৰণৰ মান উন্নত কৰাই একমাত্ৰ কাম নহয়। তাৰ লগে লগে quality of life বা জীৱনৰ গুণগত উৎকৰ্ষ সাধনৰ কাৰণেও চেষ্টা চলিব লাগিব। জীৱনৰ গুণগত উৎকৰ্ষ কেৱল আৰ্থিক নিৰাপত্তা বা সমৃদ্ধিৰ ওপৰত নিৰ্ভৰ নকৰে; সেয়ে হোৱা হ'লে সমাজৰ আটাইতকৈ ধনী মানুহজনেই

আটাইতকৈ শ্ৰদ্ধেয় আৰু সংস্কৃতিবান মানুহ হ'লহেঁতেন। কিন্তু সেইটো যেন নহয়, সেই কথা নিশ্চয় কাৰো চকুত আঙুলি দি ক'বৰ প্ৰয়োজন নাই। জীৱনৰ গুণগত উৎকৰ্ষ-সাধন কেৱল শাসক, ৰাজনৈতিক নেতা আৰু অৰ্থনীতিবিদৰ কাম নহয়; সেই কামৰ আচল দায়িত্ব ল'ব লাগিব শিল্পী, ভাবুক আৰু বুদ্ধিজীৱীসকলে। তেওঁলোকে যদি মানুহক নৈতিক সাহস, মহত্ত্ব আৰু সৌন্দৰ্য্যবোধৰ শিক্ষা দিয়ে, তেতিয়াহে সমাজত মনুষ্যত্বৰ সৰ্বাংগীন বিকাশৰ উপযোগী অনুকূল পৰিবেশ সৃষ্টি হ'ব। কিন্তু দুৰ্ভাগ্যৰ কথা যে ভাৰতবৰ্ষত শতাব্দী-প্ৰাচীন সামন্তবাদৰ যুঁৱলি ওফৰাই পেলাই মানুহক আৰ্থিক আৰু সমাজিক দাসত্বৰ পৰা মুক্ত কৰিবলৈ যিমানেই চেষ্টা চলিছে, সিমানেই আনকি সমাজৰ আটাইতকৈ বুদ্ধিমান শ্ৰেণীৰ মানুহৰ মাজতো সামন্তবাদী পৰবশ্যতা, মোচাহেবিয়ানা আৰু দাসসুলভ মনোভাব দিনে দিনে বৃদ্ধিহে পাইছে। এটা মুক্ত মহৎ জীৱনৰ গৌৰৱত মানুহৰ মেৰুদণ্ড পোন হৈ যোৱাৰ পৰিবৰ্তে দিনে দিনে সি বেছি বেঁকা হৈ যাব ধৰিছে। কোৱা বাহুল্য মাথোন যে ই সমগ্ৰ জাতিটোৰ নৈতিক স্বাস্থ্যহীনতাৰ লক্ষণ। সকলো দেশতে সকলো যুগতে সংখ্যালঘু বুদ্ধিজীৱী শ্ৰেণীটোৱেই মানুহৰ মনত মুক্তিৰ আকাংক্ষা আৰু মানৱিক মৰ্যাদাবোধ জীয়াই ৰাখে। কিন্তু যেতিয়া সমাজৰ সেই শ্ৰেণীৰ মানুহেই নিজৰ ঐতিহাসিক মহৎ ভূমিকাৰ কথা পাহৰি খিতাপ আৰু বক্‌ছিছ্‌ৰ লোভত মোচাহেবৰ দলত নাম লিখাবলৈ ঠেলাঠেলি আৰম্ভ কৰে, তেতিয়া সেই সমাজত ভৱিষ্যৎ সম্পৰ্কে দুঃচিন্তাৰ কাৰণ ঘটে। আজি ভাৰতবৰ্ষত এনে কেইজন কবি, শিল্পী আৰু বুদ্ধিজীৱী আছে, যি মাইকেল মধুসূদন দত্তৰ দৰে ক'ব পাৰে— 'These men, my dear Raj, little understand the heart of a proud, silent, lonely man of song! They regret his want of popularity, which perhapes, his heart swells within him in vision of glory, such as they can form no conception of.'

ভাৰতবৰ্ষৰ মানুহে চিৰকাল ধৰি সাহসৰ সাধনা কৰিছে। 'নায়মাত্মা বলহীনেন লভ্যঃ' বুলি ঘোষণা কৰা উপনিষদৰ ঋষিসকলৰ পৰা আৰম্ভ কৰি গান্ধী-ৰবীন্দ্ৰনাথলৈকে এই দেশৰ সকলো মহাপুৰুষেই সাহসকেই মানুহৰ সৰ্বৎকৃষ্ট গুণ বুলি অভিহিত কৰিছে, মানুহৰ মেৰুদণ্ড পোন কৰিবলৈ চেষ্টা কৰিছে। সেই সাধনাৰ যাতে কেতিয়াও বিৰাম নঘটে, তাৰ কাৰণে প্ৰত্যেকজন মুক্ত-বুদ্ধিৰ চিন্তাশীল মানুহে চিৰ-সজাগ হৈ থকাৰ দৰ্কাৰ।

নেপোলিয়ন আৰু মাডাম দ্য ষ্টেল

মাডাম দ্য ষ্টেল সম্রাজ্ঞী নাছিল, মন্ত্ৰী বা অমাৰ্ত্যও নাছিল। তেওঁ আছিল এগৰাকী লিখিকা মাত্ৰ। কিন্তু কেৱল মুখৰ কথা আৰু হাতৰ কলমৰ জোৰতেই তেওঁ ইমান বেছি ক্ষমতা অধিকাৰিনী হৈছে যে ওঠৰ শতিকাৰ শেষ আৰু ঊনেশ শতিকাৰ প্ৰথম দশকৰ ফ্ৰান্স তথা ইউৰোপৰ ইতিহাসৰ গতিধাৰা বহু পৰিমাণে নিয়ন্ত্ৰিত হৈছিল, তেওঁৰ বুলিনি-চ'ৰাত। সম্ৰাট ষষ্ঠদশ লুই যেতিয়া ফ্ৰান্সৰ সিংহাসনত আছিল তেতিয়া বহুতো মন্ত্ৰী আৰু বিষয়াৰ ভঙা-পতা হৈছিল মেডাম দ্য ষ্টেলৰ আঙুলিৰ নিৰ্দেশত। ১৭৮৯ চনত যেতিয়া ফৰাচী বিপ্লৱ আৰম্ভ হ'ল, ইউৰোপৰ সমাজ আৰু সভ্যতাৰ ভেটি তল-ওপৰ কৰা সেই বিৰাট ঐতিহাসিক ঘটনাৰ কণ্ট্ৰোল কমটো অন্যান্য জনদিয়েকৰ লগতে আছিল মাডাম দ্য ষ্টেল। তাৰ পিচত বিপ্লৱৰ ভস্মৰাশীৰ পৰা উঠি আহি নেপোলেয়নে ১৭৯৯ চনত যেতিয়া ইউৰোপৰ ইতিহাসত নতুন এটা অধ্যায়ৰ সূচনা কৰিলে, তেতিয়াও তেওঁ সমুখত বিৰাট প্ৰত্যাহ্বান হৈ থিয় দিছিল মাডাম দ্য ষ্টেল। তৰোৱাল আৰু বন্দুকেৰে নেপোলিয়নে যুঁজ কৰিবলগীয়া হৈছিল সমগ্ৰ ইউৰোপৰ লগত, কিন্তু মগজুৰে তেওঁ যুঁজ কৰিবলগীয়া হৈছিল মাডাম দ্য ষ্টেল লগত। সমসাময়িক ইউৰোপৰ ৰাজনীতি আৰু চিন্তাধাৰাৰ ওপৰত মাডাম দ্য ষ্টেলে কিমান গভীৰ প্ৰভাৱ পেলাইছিল, সেই কথা বুজিবলৈ এই কথা ক'লেই যথেষ্ট হ'ব যে ভলটেয়াৰৰ মৃত্যুৰ পিচত সেই মহান বিপ্লৱী চিন্তা নায়কৰ খালী ঠাই পূৰণ কৰিছিল এই অসামান্য মহিলাগৰাকীয়ে।

নেপোলিয়ন ক্ষমতালৈ অহাৰ লগে লগেই মাডাম দ্য ষ্টেলৰ লগত তেওঁৰ সংঘৰ্ষ আৰম্ভ হ'ল। চৌধ বছৰ ধৰি চলা এই দ্বৈত যুদ্ধক ছাঁ বোভে বৰ্ণনা কৰিছে— "Duel between the Emperor of Matter (Napolean) and the Empress of the mind Madam De Stael." অৰ্থাৎ "জড়বস্তুৰ সম্রাটৰ লগত মনৰ সম্রাজ্ঞীৰ দ্বৈত যুদ্ধ" বুলি। মাডাম দ্য ষ্টেলৰ সমগ্ৰ জীৱনৰ সাধনা আছিল উদাৰনৈতিক যুক্তিবাদৰ প্ৰতিষ্ঠা। নেপোলিয়নৰ ক্ষমতাৰ ৰাজনীতিৰ লগত মাডাম দ্য ষ্টেলৰ এই আদৰ্শবাদিতাৰ পদে পদে সংঘৰ্ষ হৈছিল। মাডাম দ্য ষ্টেলে প্ৰথমে বিচাৰিছিল সেই যুগৰ সৰ্বশ্ৰেষ্ঠ পুৰুষজন, অৰ্থাৎ নেপোলিয়নৰ লগত সেই যুগৰ সৰ্বশ্ৰেষ্ঠা তিৰোতাগৰাকীৰ দৈহিক আৰু আধ্যাত্মিক মিলন অৰ্থাৎ প্ৰেম। অৰ্থাৎ প্ৰেমৰ শক্তিৰে তেওঁ নেপোলিয়নক শাসন কৰিবলৈ আশা কৰিছিল। কিন্তু নেপোলিয়ন মাডাম দ্য ষ্টেলৰ প্ৰেমৰ ফাগুত ধৰা দিবলৈ ৰাজী নহ'ল। তেতিয়া মাডাম দ্য ষ্টেলে কলমৰ অস্ত্ৰেৰে নেপোলিয়নৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিলে। ১৭৯৯ চনত ফাৰ্ষ্ট কনচাল নিযুক্ত হৈয়ে নেপোলিয়নে ঘোষণা কৰিলে "I shall crush her" অৰ্থাৎ "মই তেওঁক পিহি গুড়ি কৰিম।" মাডাম দ্য ষ্টেলৰ হাতত ৰাজনৈতিক ক্ষমতা নাছিল, সামৰিক শক্তি নাছিল, আনকি জন-সমৰ্থনো নাছিল। কৰাৰ ভিতৰত তেওঁ কেৱল কথা কৈছিল আৰু লেখিছিল। তথাপি দিগ্‌বিজয়ী মহাবীৰ নেপোলিয়নে এগৰাকী কথকী অবলা তিৰোতাক ইমান ভয় কৰি চলিছিল কিয়? তাৰ কাৰণ আছিল— মাডাম দ্য ষ্টেল হৈ পৰিছিল ইউৰোপৰ বিবেকৰ প্ৰতিভূ। নানা ভাবুকিৰে মাডাম দ্য ষ্টেলৰ মুখ বন্ধ কৰিব নোৱাৰি নেপোলিয়নে তেওঁৰ শুভেচ্ছা আৰু সমৰ্থন পাবলৈ সৰ্বপ্ৰকাৰে চেষ্টা কৰিলে। মাডাম দ্য ষ্টেলে যি বিচাৰে তাকেই দিবলৈ তেওঁ প্ৰতিশ্ৰুত হ'ল। নেপোলিয়নে তেওঁৰ ভায়েক লুচিয়েনৰ

হতুৱাই মাডাম দ্য ষ্টেলক সুধিলে— 'তেওঁক লাগে কি?' মাডাম দ্য ষ্টেলে হা হতোস্মি কৰি উত্তৰ দিলে— "হে ভগবান, মই কি বিচাৰোঁ সেইটোতো প্ৰশ্ন নহয়; প্ৰশ্নটো হ'ল— মই কি ভাবোঁ!'

মাডাম দ্য ষ্টেলে যদি ভাবিবলৈ বন্ধ কৰিলেহেঁতেন, তেন্তে তেওঁক নেপোলিয়নৰ অদেয় একো নাছিল; কিন্তু নভবাকৈ মাডাম দ্য ষ্টেলে জীয়াই থাকে কেনেকৈ?

দিগ্‌বিজয়ী নেপোলিয়নৰ ৰঙা চকুক অগ্ৰাহ্য কৰি মাডাম দ্য ষ্টেলে ভাবি থাকিল আৰু লিখি থাকিল। এবাৰ তেওঁ নেপোলিয়নৰ বিষয়ে কৰা এটা মন্তব্যত ফ্ৰান্সৰ ভাগ্য-নিয়ন্তা ইমান ক্ৰুদ্ধ হৈ উঠিল যে স্নানাগাৰত বাথ-টাবত বহি বহি তেওঁ চিঞৰি উঠিল— "এমাইল দূৰৰ পৰা মই মাডাম দ্য ষ্টেলৰ গোন্ধ পাওঁ। তেওঁ মোৰ লগত যুদ্ধ বিচাৰে। ঠিক আছে, যুদ্ধই হ'ব।" মাডাম দ্য ষ্টেলৰ উদ্দেশ্যে তেওঁ খঙত বাথ-টাবৰ পানীখিনিতে ইমান জোৰেৰে ভুকু মাৰি দিলে যে কাষত থিয় হৈ থকা ভায়েক লুচিয়েনৰ সৰ্বাংগ তিতি গ'ল। এজন লগুৱাই লুচিয়েনৰ গাটো মচি থাকে মানে নেপোলিয়নে ভায়েকক আদেশ দিলে— "তুমি এইমাত্ৰ গৈ সেই তিৰোতাগৰাকীক কৈ দিয়াগৈ যে মই ষষ্ঠদশ লুইয়ো নহয়, বাৰাছো নহয়। মোৰ পথত তেওঁ যেন প্ৰতিবন্ধক হৈ থিয় নিদিয়ে। অন্যথাই মই তেওঁক মোহাৰি গুৰি কৰিম।"

লুচিয়েনৰ মুখত নেপোলিয়নৰ এই সন্দেহ পাই মাডাম দ্য ষ্টেলে কেৱল মন্তব্য কৰিলে— "মই যেতিয়া অন্যায়ৰ শক্তিৰ বিৰুদ্ধে থিয় হওঁ, তেতিয়া মই এটা অদ্ভুত দৈহিক আনন্দ অনুভৱ কৰোঁ।"

নেপোলিয়নে যেতিয়া মাডাম দ্য ষ্টেলক ফ্ৰান্সৰ পৰা নিৰ্বাসনৰ ভয় দেখুৱালে, তেওঁ মন্তব্য কৰিলে- "মই মোৰ মনত নাৰী-সুলভ ভয় অনুভৱ কৰিছোঁ, কিন্তু সেই বুলি কোনেও মোক ভণ্ড বা দাসীত পৰিণত কৰিব নোৱাৰে। কোনে কি মত পোষণ কৰে সেইটোৱেই মানুহৰ চৰিত্ৰৰ প্ৰধান লক্ষণ নহয়; কিমান গৰ্ব-সহকাৰে মানুহে নিজৰ মত ব্যক্ত কৰিব পাৰে বা তাত অবিচল হৈ থাকিব পাৰে— তাৰ চৰিত্ৰ ফুটি উঠে।"

নেপোলিয়নৰো মহত্ত্ব আছিল এইখিনিতেই যে কথা কৈ আৰু চিন্তা কৰি ভালপোৱা সেই মহিলাগৰাকীক তেওঁ কেতিয়াও মহটিয়াই ধূলিস্যাৎ কৰিবলৈ চেষ্টা কৰা নাছিল। বৰং অবিৰাম যুদ্ধ-বিগ্ৰহৰ মাজতো তেওঁ বেনামী প্ৰবন্ধ লিখি মাডাম দ্য ষ্টেলৰ কিতাপৰ সমালোচনা কৰিবলৈ সময় উলিয়াইছিল। চিন্তাৰ সংঘাতত হোৱা ফিৰিঙতিয়েই সভ্যতাৰ চালিকাশক্তিৰ সৃষ্টি কৰে। নেপোলিয়নৰ মহত্ত্ব আছিল এইখিনিতেই যে তেওঁ এই সত্য বুজি পাইছিল।

সাপ্তাহিক নীলাচল, ৩৭৭ সংখ্যা ঃ ৫ মে', ১৯৭৬ চন

টেডিঅ' ইছিড'ৰ ক্ৰাজৰ জীৱন ঃ জৰ্জ লুই বৰ্ঝেছ

I am looking for the face I had before The world was made.
Yeats : "A woman young and old"

১৯২৯ চনৰ ৬ ফেব্ৰুৱাৰীৰ কথা। লোপেজৰ অধীনত যুঁজ কৰা সৈন্য বাহিনীটো লগ লাগিবলৈ এদল সৈন্যই উত্তৰৰ ফালে যাত্ৰা কৰিছে। তেওঁলোকৰ সেনাপতি লাভেলে সৈন্যবোৰক ক্ষন্তেকৰ বাবেও উশাহ ল'বলৈ সময় দিয়া নাই। অৱশেষত তেওঁলোকে পাৰগেমিনোৰ পৰা প্ৰায় ন-দহ মাইলমান দূৰৰ এখন খেতিৰ পামত (পামখনৰ নামটো তেওঁলোকে নাজানে) কিছুসময়ৰ কাৰণে জিৰণি ল'লে। প্ৰায় ৰাতিপুৱাৰ সময়ত এজন সৈন্যই এটা ভয়লগা সপোন দেখিলে। যিটো জুপুৰি ঘৰত তেওঁ শুই আছিল, তাৰ অস্পষ্ট ধূসৰ অন্ধকাৰত তেওঁৰ চিঞৰ শুনি তেওঁৰ লগত বিছনাত একেলগে শুই থকা তিৰোতাজনী সাৰ পাই উঠিল। তেওঁ কি সপোন দেখিছিল সেই কথা কোনেও নাজানিলে— কাৰণ সেইদিনাই আবেলি চাৰি বজাত চবাৰেজৰ অশ্বাৰোহী সৈন্যবাহিনীয়ে তেওঁলোকক অতৰ্কিতে আক্ৰমণ কৰি কুৰি মাইলতকৈ বেছি বাট তেওঁলোকক খেদি নিলে। সাঁজ লাগি ভাগিবৰ পৰত এখন জলাতক ঠাইৰ ওখ ঘাঁহনিৰ মাজত দুয়োদলৰ খেদা-খেদি যুঁজখন শেষ হ'ল। ভয়লগা সপোন দেখি চিঞৰি উঠা সৈনিকজনক বাটৰ কাষৰ এটা খালত মৃত অৱস্থাত পোৱা গ'ল। তৰোৱালৰ আঘাতত তেওঁৰ মূৰটো ফাটি দুফাল হৈ গৈছিল। সেই তৰোৱালখন এসময়ত ব্যৱহাৰ হৈছিল পেৰু আৰু ব্ৰাজিলৰ মাজত হোৱা যুদ্ধত। তিৰোতাজনীৰ নাম আছিল ইছিডোৰা ক্ৰাজ্। তাইৰ যিটো সন্তান জন্ম হ'ল, তাৰ নাম দিয়া হ'ল তেডিঅ' ইজিড'ৰ।

ইয়াত সেই ল'ৰাজনৰ সমগ্ৰ ব্যক্তিগত ইতিহাস বৰ্ণনা কৰাটো মোৰ উদ্দেশ্য নহয়। যি অজস্ৰ ৰাতিৰ সমষ্টি আছিল তেওঁৰ জীৱন, তাৰ ভিতৰত মাত্ৰ এটা ৰাতিৰ কথাহে মই আজি ক'বলৈ বিচাৰোঁ; বাকীবোৰ দিনৰ বিষয়ে যদি কিবা ক'বলগীয়া হয়, তেন্তে সেই বিশেষ ৰাতিটো সম্পূৰ্ণ তাৎপৰ্য্য বুজাবৰ কাৰণেহে মই প্ৰসঙ্গক্ৰমে দুই-এটা কথা উল্লেখ কৰিম। মই ক'ব খোজা ঘটনাটোক আলম কৰি এটা বিখ্যাত কবিতা ৰচিত হৈছে— অৰ্থাৎ বিভিন্ন মানুহৰ চকুত বিভিন্নভাৱে সেই কবিতাটোৰ অৰ্থ প্ৰতিভাত হৈছে। (১, কৰিন্থিয়ানছ ৯ ঃ ২২), কাৰণ প্ৰায় অন্তহীনভাৱে সেই কবিতা ব্যাখ্যা কৰা হৈছে, বেলেগ বেলেগ ৰূপ দিয়া হৈছে, বিকৃত কৰা হৈছে। বহুতো মানুহে তেডিঅ' ইছিড'ৰ জীৱন কাহিনীৰ নানা তাত্বিক ব্যাখ্যা দিবলৈ চেষ্টা কৰিছে; তেওঁলোকৰ বেছিভাগেই তেডিঅ' ইছিড'ৰ চৰিত্ৰৰ ওপৰত বিশাল আৰু উন্মুক্ত সমভূমিৰ প্ৰভাৱৰ ওপৰত বিশেষ গুৰুত্ব দিছে। কিন্তু যি বৰ্ণ-সংকৰ সম্প্ৰদায়ত টেডিঅ' ইছিড'ৰ জন্ম হৈছিল, তেওঁলোকৰ সকলোৰেই জন্ম আৰু মৃত্যু হৈছিল পাৰাণা নদীৰ অৰণ্য-আচ্ছাদিত তীৰ-ভূমিত আৰু উৰুগুৱেৰ দুৰ্গম পাহাৰীয়া অঞ্চলত। এই কথা স্বীকাৰ কৰিবই লাগিব যে বিৰাম-বিহীন হিংস্ৰ বৰ্বৰতাৰ মাজত টেডিঅ' ইছিড'ৰই জীৱন অতিবাহিত কৰিছিল। ১৮৭৪ চনত বসন্ত-মহামাৰীত মৃত্যু হোৱাৰ মুহূৰ্তলৈকে টেডিঅ'ই জীৱনত কেতিয়াও এটা পৰ্বত বা গেছ জেট বা বতাহী কলত চলা পাম্প দেখি পোৱা নাছিল। কোনো নগৰ-চহৰো তেওঁ দেখা নাছিল। ১৮৪৯ চনত তেওঁ এবাৰ ফ্ৰান্সিস্কো জেভিয়াৰ আৰ্চিভেডোৰ খেতিৰ পামৰ পৰা এটা গৰুৰ পালৰ লগত বুয়েনছ্ আয়াৰছলৈ গৈছিল। নগৰ আনবোৰ গৰখীয়াই অলপ ৰং-ৰহইচ

কৰিবলৈ নগৰলৈ গ'ল, কিন্তু টেডিঅ'ই নগৰৰ পৰা কিছু দূৰৰ যিটো জৰাজীৰ্ণ চৰাই-খানাত আশ্ৰয় লৈছিল তাৰ পৰা তেওঁ এটা খোজো লৰচৰ নকৰিলে। তাতেই তেওঁ অকলে শুই-বহি কেইবাটাও দিন কটাই দিলে। তেওঁ অনুভৱ কৰিলে (এই অনুভৱ আছিল শব্দৰ অতীত, আনকি বোধ-শক্তিৰো অতীত) যে নগৰৰ জীৱন-ধাৰাৰ লগত তেওঁ কোনো মতেই নিজকে খাপ খুৱাই ল'ব নোৱাৰিব। নগৰ এজন গৰখীয়াই মদ খাই মাতাল হৈ টেডিঅ'ক ঠাট্টা-বিদ্ৰূপ কৰি বিৰক্ত কৰিবলৈ চেষ্টা কৰিছিল। টেডিঅ'ই সেইবোৰ কথা গাতেই নলগালে। কিন্তু ঘৰলৈ ঘূৰাৰ বাটত ৰাতি জুইৰ কাষত বহি থাকোঁতে সেই একোটা মানুহেই আৰু বহুতবাৰ টেডিঅ'ক নানা প্ৰকাৰে উত্যক্ত কৰি থাকিল। টেডিঅ'ই অৱশেষত ছুৰী মাৰি তাক হত্যা কৰিলে। (কিন্তু শেষ মুহূৰ্তলৈ টেডিঅ'ই কোনো প্ৰকাৰৰ খং বা বিৰক্তি প্ৰকাশ কৰা নাছিল)।

মানুহটোক হত্যা কৰাৰ পিছত টেডিঅ'ই পলাই এখন জোপোহানিৰ মাজত আত্ম-গোপন কৰিবলৈ বাধ্য হ'ল। কেইবাটাও ৰাতি পাৰ হৈ যোৱাৰ পিছত এটা বনৰীয়া চৰাইৰ আৰ্ত চীৎকাৰ শুনি টেডিঅ'ই আবিষ্কাৰ কৰিলে যে পুলিচে তেওঁক চাৰিওফালৰ পৰা ঘেৰি ধৰিছে। ভৰি মেৰিয়াই ধৰা লতাবোৰ কাটি তেওঁ নিজৰ ছুৰীখনৰ ধাৰ পৰীক্ষা কৰি চালে। পুলিচৰ হাতত ধৰা পৰাতকৈ যুঁজ কৰি মৰিবলৈকে ঠিক কৰি তেওঁ কান্ধ, বাহু আৰু বাওঁ হাতত কেইবাটাও আঘাত পালে। আঙুলিৰ মাজেদি জোলোকা-জোলোকে তেজ ওলোৱা অনুভৱ কৰি তেওঁ আগতকৈ বেছি হিংস্ৰভাৱে যুঁজ কৰিবলৈ ধৰিলে, আৰু আটাইতকৈ দুৰ্দ্ধৰ্ষ পুলিচকেইজনক আটাইতকৈ বেছিকৈ আহত কৰিলে। গোটেই ৰাতি যুঁজ কৰি কৰি শৰীৰৰ পৰা বহুত তেজ বাহিৰ হোৱাত পুৱাৰ ভাগলৈ তেওঁ দুৰ্বল হৈ পৰিল আৰু তেতিয়া তেওঁক নিৰস্ত্ৰ কৰা হ'ল। সেই সময়ত সৈন্য-বাহিনীয়ে বিচাৰালয়ৰ দায়িত্বও পালন কৰিছিল; টেডিঅ'ক উত্তৰ সীমান্তৰ এটা পহৰা-চকীত কাম কৰিবলৈ পঠাই দিয়া হ'ল। এজন সাধাৰণ সৈনিক হিচাবে তেওঁ গৃহযুদ্ধত অংশ ল'ব লগা হৈছিল; কেতিয়াবা তেওঁ নিজৰ প্ৰদেশৰ সপক্ষে আৰু কেতিয়াবা বিপক্ষে যুদ্ধ কৰিছিল। ১৮৫৬ চনৰ ২৩ জানুৱাৰী তাৰিখে চাৰ্জেণ্ট মেজৰ ইউছেবিঅ' লাগ্ৰিডাৰ অধীনত যি ত্ৰিশজন বগা সৈনিকে দুশ ৰেড্-ইণ্ডিয়ানৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, তেওঁলোকৰে এজন আছিল টেডিঅ'। সেই যুদ্ধত তেওঁ যাঠিৰ দ্বাৰা বেয়াকৈ আহত হ'ল।

টেডিঅ'ৰ বিপদ-সংকুল আৰু ৰহস্যময় জীৱনৰ বহু কথাই আমি নাজানো। প্ৰায় ১৮৬৮ চনত আমি আকৌ এবাৰ তেওঁৰ কথা শুনিলোঁ। সেই সময়ত তেওঁ পাৰগামিনত আছিল। এগৰাকী তিৰোতাক তেওঁ বিয়া কৰিছিল অথবা এনেয়ে লগত ৰাখিছিল। তেওঁ এটা ল'ৰাৰ বাপেকো হৈছিল আৰু অলপ অচৰপ মাটি-বাৰীও কৰিছিল। ১৮৬৯ চনত তেওঁক স্থানীয় পুলিচৰ চাৰ্জেণ্ট নিযুক্ত কৰা হ'ল। অতীতৰ কথা পাহৰি গৈ তেওঁ নিজকে এজন সুখী মানুহ বুলি ভাবিবলৈ আৰম্ভ কৰিলে— যদিও হৃদয়ৰ গভীৰত তেওঁ কেতিয়াও সুখী নাছিল। (ভৱিষ্যতৰ গৰ্ভত গোপনে যিটো বস্তুৱে তেওঁৰ কাৰণে অপেক্ষা কৰি আছিল— সেইটো আছিল নগ্ন উজ্জ্বলতাৰ এটা ৰাতি, যি ৰাতিৰ মাজত অৱশেষত তেওঁ নিজৰ মুখখন দেখা পাইছিল, অৱশেষত তেওঁ নিজৰ নামটো শুনি পাইছিল। সম্পূৰ্ণকৈ বুজিব পাৰিলে এই ৰাতিটোৰ মাজতেই তেওঁৰ জীৱনৰ সমগ্ৰ ইতিহাস লুকাই আছে; অথবা সেই ৰাতিৰ এটা মুহূৰ্তৰ মাজত, এটা কমাৰ মাজত— কাৰণ কামবোৰেই হ'ল আমাৰ প্ৰতীক) জীৱনটো যিমানেই দীঘল বা জটিল নহওক কিয়, আচলতে মানুহৰ সমস্ত জীৱন গঠিত হয় এটা মাত্ৰ মুহূৰ্তৰ দ্বাৰা— যি মুহূৰ্তত মানুহে চিৰকালৰ কাৰণে নিজৰ আচল স্বৰূপটো আবিষ্কাৰ কৰে। কথিত আছে যে আলেকজেণ্ডাৰ ডা গ্ৰেটে তেওঁৰ লৌহ-ভৱিষ্যত দেখা পাইছিল একিলিজৰ পুৰাণ-কাহিনীত, আৰু ছুইডেনৰ দ্বাদশ চাৰ্লছে তেওঁৰ ভৱিষ্যত দেখা পাইছিল আলেকজেণ্ডাৰৰ জীৱন-কাহিনীত। নিৰক্ষৰ টেডিঅ' ইছিডৰ' ক্ৰাজে কোনো কিতাপৰ পৰা এই সত্যটো শিকা নাছিল; এজন

মানুহক ধৰিবলৈ খেদি ফুৰোঁতে সেই খেদি ফুৰাৰ মাজত আৰু সেই মানুহজনৰ মাজত তেওঁ নিজে কি সেই কথা তেওঁ প্ৰথমবাৰৰ কাৰণে জানিলে। ঘটনাটো ঘটিছিল এনেকৈ ঃ

এজন ডকাইতে দুজন মানুহক হত্যা কৰি পলাই ফুৰিছিল। ১৮৭০ চনৰ জুন মাহৰ শেষৰ ফালে সেই পলাতক ডকাইতজনক ধৰিবলৈ টেডিঅ'ক আদেশ দিয়া হ'ল। দক্ষিণ সীমান্তৰ সেনাপতি কৰ্ণেল বেনিটো মাচাডোৰ সৈন্য-বাহিনীৰ পৰা পলাই গৈ সেই মানুহজন ডকাইত হৈছিল। এখন বেশ্যালয়ত মদ খাই কাজিয়া কৰি তেওঁ এজন নিগ্ৰোক হত্যা কৰিছিল, তেওঁ হত্যা কৰা আনজন মানুহ আছিল ৰোজাছ জিলাৰ মানুহ। প্ৰতিবেদনত এই কথা উল্লেখ কৰা হৈছিল যে তেওঁক সৰ্বশেষ বাৰৰ কাৰণে লাগুনা কলোৰাডাৰ ওচৰত দেখা গৈছিল। এই একেখন ঠাইতে চল্লিশ বছৰৰ আগতে এটা সৈন্য-বাহিনী এখন যুদ্ধৰ কাৰণে সমৱেত হৈ শগুন আৰু কুকুৰৰ খাদ্য পৰিণত হৈছিল। এই কেখন ঠাইৰ পৰাই এদিন ব্যহিৰ হৈ আহিছিল মেনুৱেল মেছা— যিজন মানুহক পিছত বুয়েনছ আয়াৰছৰ চেণ্ট্ৰেল স্কোৱাৰত ফায়াৰিং স্কোৱাদৰ সমুখত থিয় কৰোৱা হৈছিল আৰু তেওঁৰ মৰণ চিৎকাৰ তল পেলাবৰ কাৰণে ভীষণ শব্দ কৰি ঢোল বজোৱা হৈছিল। এই একেখন ঠাইৰ পৰাই আহিছিল সেইজন অজ্ঞাত-কুল-শীল মানুহ— ব্ৰাজিল আৰু পেৰুৰ মাজত হোৱা যুদ্ধত ব্যৱহাৰ কৰা তৰোৱালে যাৰ মূৰটো দুফাল কৰি মৃত দেহটো নৰ্দমাত পেলাই থৈ গৈছিল, সিজন মানুহ আছিল টেডিঅ'ৰ বাপেক। টেডিঅ'ই ঠাইখনৰ নামটো পাহৰি গৈছিল। এতিয়া এই অস্পষ্ট আৰু বিভ্ৰান্তিকৰ অস্বস্তিৰ পিছতো নামটো তেওঁৰ মনত পৰিল।

সৈন্য-বাহিনীয়ে ডকাইতজনক খেদি ফুৰিছিল; ডকাইতজনে ঘোঁৰাত উঠি যেনি-তেনি চেঁকুৰি ফুৰিছিল। অৱশেষত বাৰ জুলাইৰ ৰাতি সৈন্য-বাহিনীয়ে তেওঁক বিচাৰি উলিয়ালে। ওখ নল-খাগৰিৰ এডৰা হাবিৰ মাজত তেওঁ আশ্ৰয় লৈছিল। সূচীভেদ্য অন্ধকাৰৰ মাজত টেডিঅ' আৰু তেওঁৰ মানুহবোৰে হাতত-সাৰে ভৰিত-সাৰে হাবিডৰাৰ ফালে আগ বাঢ়িছিল; বতাহত আন্দোলিত হাবিডৰাত ডকাইতজনে হয় তেওঁক ধৰিবলৈ অহা মানুহবোৰৰ কাৰণে অপেক্ষা কৰিছিল অথবা টোপনিত অচেতন হৈ পৰিছিল। গছৰ ডালত চৰাই এটাই চক খাই চিঞৰি উঠিল। টেডিঅ'ই অনুভৱ কৰিলে যে এনে এটা মুহূৰ্ত এদিন তেওঁ নিজেও যাপন কৰিছিল। লুকাই থকা মানুহজনে যুঁজ কৰিবলৈ বুলি মুকলিলৈ ওলাই আহিল। মানুহজনৰ ভয় লগা বীভৎস মূৰ্তিটো টেডিঅ'ৰ ভালকৈ চকুত পৰিল— দীঘল জপাৰ চুলিকোছা আৰু আধা পকা ডাৰিবোৰে তেওঁৰ মুখখন গিলি পেলাইছিল। ইয়াৰ পিছত যিখন যুদ্ধ হ'ল তাৰ বিষয়ে মই ইয়াত বৰ্ণনা কৰিব নোখোজোঁ; কাৰণটো ব্যাখ্যা নকৰিলেও সকলোৱে নিশ্চয় বুজিব। মই কেৱল এই কথাটোকে উল্লেখ কৰি থ'ব খোজোঁ যে দলত্যাগী, সৈনিকজনে টেডিঅ'ৰ কেইবাজনো মানুহক জখম বা হত্যা কৰিলে। টিডিঅ'ই আন্ধাৰত যুঁজ কৰি থাকোঁতে (অৰ্থাৎ তেওঁৰ শৰীৰটোৱে যেতিয়া আন্ধাৰত যুঁজ কৰি আছিল) জীৱনৰ এটা ডাঙৰ সত্য বুজিবলৈ আৰম্ভ কৰিলে। তেওঁ উপলব্ধি কৰিলে যে এটা ভাগ্য আন এটা ভাগ্যতকৈ বেছি ভাল হ'ব নোৱাৰে, তেওঁ উপলব্ধি কৰিলে যে প্ৰত্যেক মানুহেই নিজৰ অন্তৰৰ নিৰ্দেশ মানি চলিবই লাগিব। তেওঁ উপলব্ধি কৰিলে যে তেওঁৰ কান্ধৰ বছীডাল আৰু ইউনিফৰ্মটোৱে তেওঁৰ বাট আগচি ধৰিছে। তেওঁ উপলব্ধি কৰিলে যে তেওঁৰ আচল নিয়তি হ'ল নিঃসংগ কুকুৰনেচীয়া বাঘৰ নিয়তি, জাকৰবা কুকুৰৰ নিয়তি নহয়। তেওঁ উপলব্ধি কৰিলে যে আনজন মানুহ তেওঁ নিজেই। সীমাহীন বিশাল প্ৰান্তৰ পোহৰেৰে প্লাৱিত কৰি পূবৰ দিগন্তত সূৰ্য্যৰ উদয় হ'ল। টেডিঅ'ই তেওঁৰ হাতৰ বন্দুকটো দলিয়াই পেলাই দিলে। তেওঁ চিঞৰি ঘোষণা কৰিলে যে এজন সাহসী মানুহক হত্যা কৰাৰ অপৰাধত তেওঁ কোনো অংশ ল'ব নোৱাৰে। তাৰপিছত তেওঁ মাৰ্টিন ফিয়েৰো অৰ্থাৎ ডকাইতজনৰ কান্ধত কান্ধ মিলাই নিজৰ সৈন্য-বাহিনীৰ বিৰুদ্ধেই যুঁজ কৰিবলৈ আৰম্ভ কৰিলে।

সাপ্তাহিক নীলাচল, ৩৭৯ সংখ্যা : ১৯ মে', ১৯৭৬ চন

যি আছে সিয়ে পায়, যাৰ নাই তাৰ নাই

মই তোমাক এবাৰ কথা মন্ত্ৰ দিওঁ। যেতিয়াই তোমাৰ মনত কৰ্তব্যাকৰ্তব্য সম্পৰ্কে সন্দেহৰ উদয় হয়, তেতিয়াই তলত উল্লেখ কৰা কথাবাৰ প্ৰয়োগ কৰি চাবা। তুমি লগ পোৱা সবাতোকৈ দুখীয়া-দুৰ্বল মানুহজনৰ মুখখন মনত পেলাবা আৰু নিজকে সুধি চাবা : তুমি কৰিব খোজা কামটোৱে সেইজন মানুহজনক কিবা প্ৰকাৰে সহায় কৰিবনে? তুমি কৰিব খোজা কামটোৰ দ্বাৰা তেওঁৰ কিবা লাভ হ'বনে?

মহাত্মা গান্ধী

মুখ্যমন্ত্ৰী হিচাবে শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হ'ল এয়েই যে তেওঁ সদায় সমাজৰ দৰিদ্ৰতম মানুহজনৰ মুখখন চকুৰ আগত ৰাখি কাম কৰে। আনেও যাতে সেই মুখখন চকুৰ আগত ৰাখি কাম কৰে, তাৰ প্ৰতিও তেওঁ সততে দৃষ্টি ৰাখে। তেওঁ গাঁৱলৈ গৈ পথাৰত দুখীয়া খেতিয়কৰ লগত একেলগে চিৰা-মুড়িৰে দুপৰীয়াৰ আহাৰ খায়, ৰাতি স্কুলঘৰত খেৰৰ বিছনাৰ ওপৰত শোৱে, সভা-সমিতি নিজে উদ্বোধন নকৰি খেতিয়ক-বনুৱা-হৰিজন আদিক সেই কামলৈ আগবঢ়াই দিয়ে। তেওঁৰ এইবোৰ কামৰ মাজত বহুতে নাটকীয়তাৰ গোন্ধ পাব পাৰে। কিন্তু মানুহৰ অনুভূতি জোকাৰণি দি তেওঁলোকৰ হৃদয় আৰু দৃষ্টিভঙ্গী পৰিবৰ্তন কৰিবলৈ অনেক সময়ত নাটকীয়তাৰ আশ্ৰয় ল'ব লগা হয়। গান্ধীজীৰ দাণ্ডি-যাত্ৰা, অনশন-ব্ৰত, তৃতীয় শ্ৰেণীৰ ৰেলগাড়ীত ভ্ৰমণ— এইবোৰ কামৰ মাজতো কিছু পৰিমাণে নাটকীয়তা আছিল। শ্ৰীসিংহই নাটকীয়ভাৱে হ'লেও সমাজৰ আটাইতকৈ উপেক্ষিত আৰু দৰিদ্ৰ মানুহবোৰক পাদ-প্ৰদীপৰ সমুখলৈ আনি তেওঁলোকৰ প্ৰতি সমাজৰ দৃষ্টি আকৃষ্ট কৰিছে।

কিন্তু দুখৰ বিষয় যে তেওঁৰ এই আদৰ্শ চৰকাৰৰ সকলোবোৰ কাম-কাজতে সঠিকভাৱে প্ৰতিফলিত হোৱা নাই। আজি ইয়াত তাৰ এটা মাত্ৰ উদাহৰণ দিওঁ। চৰকাৰে যিবোৰ সজ কাম হাতত লৈছে, তাৰ কাৰণে ৰাইজৰ সহায়-সহযোগ আদায় কৰিবলৈ আৰু সমাজত উৎসাহ-উদ্দীপনাৰ পৰিবেশ সৃষ্টি কৰিবলৈ প্ৰচাৰ-অভিযানৰ আৱশ্যকতা কোনেও নুই কৰিব নোৱাৰে। জৰুৰী অৱস্থাৰ ঘোষণা আৰু কুৰিদফীয়া আঁচনিৰ উদ্বোধনৰ পিছৰে পৰা চৰকাৰে এক ব্যাপক প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। স্বাভাৱিকতেই এই প্ৰচাৰ-অভিযানৰ লক্ষ্য হোৱা উচিত সমাজৰ সংখ্যা-গৰিষ্ঠ জন-সমষ্টি। অসমৰ শতকৰা ৯১ জন মানুহ গাঁৱত বাস কৰে। অসমত লিখিব-পঢ়িব জনা মানুহৰ সংখ্যা মাত্ৰ শতকৰা ২৮.১ জন। ইংৰাজী পঢ়িব জনা মানুহৰ সংখ্যা নিশ্চয় তাতোকৈ বহুত কম হ'ব। কিন্তু আমি এটা কথা লক্ষ্য কৰি বিস্মিত হৈছোঁ যে অসম চৰকাৰৰ প্ৰচাৰ পুস্তিকাবোৰৰ এটা অংশ ইংৰাজী ভাষাত ৰচনা কৰা হৈছে। যি চৰকাৰে সমাজৰ দৰিদ্ৰতম মানুহজনৰ কথা ভাবিছে প্ৰতিটো পইচা খৰচ কৰিব খোজে আৰু প্ৰতিটো কাম কৰিব খোজে, সেই চৰকাৰে অসমৰ নিচিনা এখন দৰিদ্ৰ আৰু নিৰক্ষৰ মানুহৰ ৰাজ্যত ইংৰাজী ভাষাত প্ৰচাৰ-পুস্তিকা প্ৰকাশ কৰাৰ উদ্দেশ্য বুজা টান। এই প্ৰচাৰ-পুস্তিকাবোৰ যিবোৰ তথ্য আৰু বাণী বহন কৰিছে, সেইবোৰ কথা ৰাইজৰ গাঁৱে-ভূঞে বাস কৰা লাখ লাখ দৰিদ্ৰ আৰু নিৰক্ষৰ মানুহেহে

জনাটো দৰকাৰ। কিন্তু যিসকল লোকে এই ইংৰাজী প্ৰচাৰ-পুস্তিকাবোৰ পঢ়িব পাৰে, তেওঁলোকে হয় নপঢ়ে অথবা পঢ়িবৰ দৰকাৰ নপৰে; আনহাতে যিসকলে পঢ়িব বিচাৰে বা পঢ়া দৰকাৰ তেওঁলোকে সেইবোৰ পঢ়িব নোবাৰে। ফলত চৰকাৰৰ ধন আৰু শক্তিৰ অপচয় ঘটিছে।

নতুন ইংৰাজী বছৰৰ আৰম্ভণিতে অসম চৰকাৰে এখন কেলেণ্ডাৰ আৰু এখন ডায়েৰী প্ৰকাশ কৰিছে। তাত সন্নিবিষ্ট থকা ইংৰাজীত লিখা বাণীবোৰ পৰা ধাৰণা হয় যে এই ডায়েৰী আৰু কেলেণ্ডাৰো চৰকাৰৰ প্ৰচাৰ-অভিযানৰ এটা অঙ্গ। যি সময়ত চৰকাৰৰ প্ৰতিটো কাম-কাজ সমাজৰ দৰিদ্ৰতম শ্ৰেণীৰ মানুহৰ কথা মনত ৰাখি কৰা হৈছে, সেই সময়ত ইংৰাজী ভাষাৰ ডায়েৰী আৰু কেলেণ্ডাৰৰ দ্বাৰা কৰা প্ৰচাৰ-অভিযানে মনত পেলাই দিয়ে মুখ্যমন্ত্ৰী শ্ৰীসিংহৰ এষাৰ কথা— "যাৰ আছে সিয়ে পায়, যাৰ নাই তাৰ নাই।"— অৰ্থাৎ এই ডায়েৰী আৰু কেলেণ্ডাৰ নিশ্চয় বিনামূলীয়াকৈ বিতৰিত হৈছে ইংৰাজী শিক্ষিত সুবিধাভোগী শ্ৰেণীৰ মানুহৰ মাজত। অলমতি বিস্তৰেণ।

সৰ্বভাৰতীয় বিৰোধী দল গঠনৰ প্ৰয়াস

জাতীয় পৰ্য্যয়ত এটা বিৰোধী দল গঠন কৰাৰ প্ৰচেষ্টা ভাৰতত নতুন নহয়। প্ৰথম সাধাৰণ নিৰ্বাচনৰ সময়ত কৃষক-মজদুৰ প্ৰজা দল গঠন কৰাৰ পৰা আৰম্ভ কৰি বাৰে বাৰে এই চেষ্টা হৈ আহিছে, দল গঠনো হৈছে, কিন্তু শেষ পৰ্যন্ত ৰাজনীতিৰ ক্ষেত্ৰত এনে ধৰণৰ জাতীয় দলে কোনো কাৰ্য্যকৰী প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। জৰুৰী অৱস্থাৰ আগে আগে জয়প্ৰকাশ নাৰায়ণৰ নেতৃত্বত 'জনতা ফ্ৰণ্টে' যি ধৰণৰ আন্দোলন চলাইছিল, তাত এটা সৰ্বভাৰতীয় বিৰোধী দল গঠনৰ আকাংক্ষা নিহিত আছিল। ন্যূনতম কাৰ্য্য-সূচীৰ ভিত্তিত একগোট হৈ জনতা ফ্ৰণ্টৰ অন্তৰ্ভুক্ত দলবোৰ সংসদ আৰু বিধান সভাৰ ভিতৰে বাহিৰে ৰাজনৈতিক সহবস্থানৰ নীতি ৰক্ষা কৰি চলাত ইতিমধ্যে অভ্যস্ত হৈছে। পৰিবৰ্তিত ৰাজনৈতিক বাতাবৰণে বোধকৰো এই দলবোৰক ঐক্যবদ্ধ হ'বৰ বাবে আগ্ৰহী কৰিছে। সম্প্ৰতি সৰ্বভাৰতীয় ৰাজনৈতিক দল এটা গঠনৰ বাবে যি প্ৰচেষ্টা চলি আছে, সেইটো আচলতে জনতা ফ্ৰণ্টকে এটা সু-সংবদ্ধ সাংগঠনিক ৰূপ দিয়াৰ প্ৰয়াস।

মাৰ্চ মাহত বোম্বেত আচাৰ্য্য জে. বি. কৃপালনীৰ সভাপতিত্বত জনতা ফ্ৰণ্টৰ অন্তৰ্ভুক্ত আৰু সহানুভূতিশীল বিভিন্ন দলৰ প্ৰতিনিধিসকল এখন সভাত গোট খায়। জয়প্ৰকাশ নাৰায়ণৰ বাহিৰে এই সভাত বি. এম. ডি.ৰ চৰণ সিং, সাগঠনিক কংগ্ৰেছৰ নিজালিংগাপ্পা, চোছিয়েলিষ্ট পাৰ্টিৰ এচ. এম. যোশী, আৰ. এচ. পি.ৰ ত্ৰিদীব চৌধুৰী আৰু ডি. এম. কে.ৰ এৰা ছেজিয়ানকে ধৰি ভালেমান বিভিন্ন নেতা উপস্থিত আছিল। এটা সৰ্বভাৰতীয় বিৰোধী দল গঠনৰ সিদ্ধান্ত এই সভাত লোৱা হয়। এই প্ৰস্তাৱিত [illegible] ৰাজনৈতিক ইস্তাহাৰৰ খচৰা সম্প্ৰতি সাংগঠনিক কংগ্ৰেছ, বি. এল. ডি. এছ. পি., জনসংঘ আদি দলসমূহৰ শাখা কমিটিবোৰলৈ পৰ্য্যালোচনাৰ বাবে পঠোৱা হৈছে। উল্লেখযোগ্য যে এই খচৰাত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে বিৰোধী দলসমূহক হিংসা আৰু প্ৰতিৰোধৰ বাট এৰিবলৈ জনোৱা আবেদনৰ কথাও উল্লেখ কৰা হৈছে। ৰাজনৈতিক নীতি আৰু আদৰ্শ হিচাবে উল্লিখিত অন্যান্য বিষয়বোৰ হৈছে গণতন্ত্ৰ আৰু গণতান্ত্ৰিক মূল্যবোধ দৃঢ় কৰা, সৰ্ব-ধৰ্ম-সমভাব বিস্তাৰ, গান্ধীবাদী তত্ত্বৰ ভেটিত অহিংসা আৰু আত্মানুশাসন, শোষণৰ অৱসান ইত্যাদি। শান্তিপূৰ্ণ উপায়েৰে জৰুৰী অৱস্থা প্ৰত্যাহাৰ, বিচাৰ বিভাগৰ পূৰ্ণ স্বাধীনতা প্ৰদান আৰু নিৰ্বাচনী সংস্কাৰৰ কথাও ইয়াত আছে। অনুমান কৰিব পাৰি যে পৌনাৰত অনুষ্ঠিত হোৱা আচাৰ্য সন্মিলনৰ সিদ্ধান্ত সমূহ এই ইস্তাহাৰ যুগুত কৰাৰ সময়ত পৰ্য্যালোচনা কৰা হৈছে আৰু ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে।

সৰ্বভাৰতীয় নেতাসকলে স্ব স্ব ৰাজনৈতিক দলৰ অস্তিত্ব বিলোপ কৰি জাতীয় দল গঠনৰ সংকল্প ল'লেও প্ৰতিদলৰ ভিতৰত এই বিষয়ে তীব্ৰ মতভেদ আছে। অতীতৰ এই ক্ষেত্ৰত জনসংঘৰ বিৰোধিতা আছিল আটাইতকৈ বেছি, কিন্তু ৰাষ্ট্ৰীয় স্বয়ংসেৱক নিষিদ্ধ হোৱাৰ পিচত এতিয়া জনসংঘে এই নতুন দল গঠনৰ প্ৰতি আগ্ৰহী বুলি জনা হৈছে। সাংগঠনিক কংগ্ৰেছত নিজা দলৰ বিলুপ্তি সম্পৰ্কে দ্বিমত আছে।

অস্তিত্ব বিলোপ কৰিবলগীয়া হ'লে কংগ্ৰেছত যোগ দিয়াই ভাল— এনে কথাও উঠিছে। চছিয়েলিষ্ট পাৰ্টি এনেয়ে বহুধা-বিভক্ত— এইক্ষেত্ৰত দলৰ কৰ্মী আৰু সমৰ্থকসকল একমত হোৱাৰ সম্ভাৱনা বৰ কম। একমাত্ৰ বি. এল. ডি.তে নতুন দল গঠন সম্পৰ্কে কোনো বিৰূপ মনোভাৱ নাই। সৰ্বভাৰতীয় দল গঠনৰ

সিদ্ধান্ত খাটাং। কিন্তু এই দলৰ সাংগঠনিক ৰূপ কি হ'ব, সকলো দলে ইয়াত নিজৰ অস্তিত্ব বজায় ৰাখি জনতা ফ্ৰন্টৰ লেখীয়া এটা ৰাজনৈতিক প্লেটফৰ্ম হিচাপে ইয়াক ব্যৱহাৰ কৰিব, নে এটা সম্পূৰ্ণ পৃথক নতুন দলেই গঠিত হ'ব— ইত্যাদি কথা এতিয়াও স্থিৰ হোৱা নাই। ভাৰতীয় লোকদল, জনসংঘ, চছিয়েলিষ্ট পাৰ্টি আৰু সাংগঠনিক কংগ্ৰেছ একত্ৰে নিঃসন্দেহে এটা ডাঙৰ ৰাজনৈতিক শক্তি— কিন্তু এই চাৰিটা দলৰ মিলনে কেৱল মাত্ৰ সোঁপন্থী ৰাজনীতিকহে শক্তিশালী কৰিব পাৰিব।

এই সোঁপন্থী ৰাজনৈতিক শক্তিৰ তৎপৰতাৰ পৰিপ্ৰেক্ষিতত আৰু আসন্ন নিৰ্বাচনৰ পটভূমিত চি. পি. এম. আৰু চি. পি. আই. স্বাভাৱিকতে সক্ৰিয় হৈ উঠিছে। ই. এম. এছ. নাম্বুদ্ৰিপদে সম্প্ৰতি দলীয় পৰ্য্যায়ত ব্যাপকতৰ ভিত্তি ফ্ৰন্ট গঠনৰ যি প্ৰস্তাব দাঙি ধৰিছে, তাত আন আন গণতন্ত্ৰী আৰু বামপন্থী শক্তিৰ সৈতে চি. পি. আই. আৰু যুব কংগ্ৰেছৰ 'প্ৰগতিশীল অংশ'ক অন্তৰ্ভুক্ত কৰাৰ কথাও কোৱা হৈছে। চি. পি. এম. নেতৃত্বৰ এটা অংশই ইতিমধ্যে চি. পি. আই. নেতাসকলৰ সৈতে সংযোগ ৰক্ষা কৰি চলিবলৈ আৰম্ভ কৰিছে। ১৯৭৫ চনৰ মে' মাহত চি. পি. আই. নেতা জেদ. এ. আহমদ আৰু চি. পি. এম. নেতা হৰকিষাণ সিং সুৰজিত পূৰ্ব জাৰ্মানীত অনুষ্ঠিত আন্তৰ্জাতিক খেতিয়ক সন্মিলনত যোগ দিয়াৰ পাছত একেলেগে ছোভিয়েট ৰাছিয়ালৈ গৈছিল। চি. পি. এম.এ এতিয়া ছোভিয়েট ৰাছিয়াৰ দলীয় কাকতত চি. পি. এম.ক আগতে বিভেদ সৃষ্টিকাৰী দল বুলি কোৱা হৈছিল; আজিকালি 'সমান্তৰাল' দল বুলি কোৱা হয়।

এই লক্ষণবোৰৰ পৰা অনুমান কৰিব পাৰি যে আন্তৰ্জাতিক বিষয়ত দৃষ্টি-ভংগীৰ ক্ৰমবৰ্ধমান মতৈক্যই চি. পি. আই. আৰু চি. পি. এম.ৰ মাজত সহযোগিতাৰ থল বঢ়াই দিছে আৰু জাতীয় ৰাজনীতিত দক্ষিণপন্থী শক্তিৰ বিৰুদ্ধে এই দুই দলৰ সতৰ্ক সহযোগিতাৰ সম্ভাৱনাও বৃদ্ধি পাইছে।

সু-শাসন

দেশত চলি থকা জৰুৰী অৱস্থাৰ এবছৰ পূৰ হ'বলৈ আৰু কেইটামান দিনহে বাকী আছে। জৰুৰী অৱস্থাৰ ঘোষণা আছিল প্ৰকৃতপক্ষে এটা জাতীয় সংকল্পৰ ঘোষণা। সেই ঘোষণা মতে কিমানখিনি কাম নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত হ'ল, কিমানখিনি হ'বলৈ বাকী আছে, লাহে লাহে তাৰ খতিয়ান লোৱাৰ সময় আহিছে। কুৰিদফীয়া অৰ্থনৈতিক কাৰ্য্যসূচীৰ উপৰিও জৰুৰী অৱস্থাৰ আন এটা বিশেষ লক্ষ্য আছিল দেশত সু-শাসন প্ৰৱৰ্তন কৰা। আৰ্থিক সা-সুবিধা বিচৰাৰ উপৰিও জনসাধাৰণে বিচাৰে এনে এটা শাসন যি শাসন ব্যৱস্থা দুৰ্নীতি-মুক্ত, কৰ্তব্যপৰায়ণ আৰু জনসাধাৰণৰ প্ৰতি আন্তৰিকভাৱে সহানুভূতিশীল। জনসাধাৰণে বিচৰা বিধৰ শাসন ব্যৱস্থাই যে আমাৰ দেশত এতিয়াও গঢ় লৈ উঠা নাই, সেই কথা চৰকাৰে নিজেই স্বীকাৰ কৰিছে। প্ৰশাসনিক সংস্কাৰৰ কাৰণে দিহা-পৰামৰ্শ দিবলৈ চৰকাৰে পাতি দিয়া একাধিক কমিটিয়ে সেই কথা প্ৰমাণ কৰে। দিহা-পৰামৰ্শৰ অভাৱ নাছিল, অভাৱ হৈছিল মাত্ৰ দৃঢ় ইচ্ছা-শক্তি আৰু অনুকূল মানসিক বাতাৱৰণৰ। জৰুৰী অৱস্থাই নিঃসন্দেহে সেই ইচ্ছা শক্তি আৰু বাতাৱৰণৰ সৃষ্টি কৰিছিল। তাৰ ফল স্বৰূপেই, অন্ততঃ প্ৰথম অৱস্থাত, দেশৰ শাসন-ব্যৱস্থাত চকুত লগা বিধৰ পৰিবৰ্তনৰ সূচনা হোৱা যেন দেখা গৈছিল। হাজাৰ হাজাৰ দুৰ্নীতিপৰায়ণ বিষয়াক শাস্তি দিয়া হৈছিল, অকৰ্মণ্য বিষয়াক বাধ্যতামূলক অৱসৰ দিয় হৈছিল, চৰকাৰী কাৰ্য্যালয়বোৰত সময়-জ্ঞান আৰু নিয়মানুবৰ্তিতাৰ নতুন যুগৰ সূচনা হৈছিল।

কিন্তু যোৱা মে' মাহৰ আগভাগত দিল্লীত বহা মুখ্য সচিবসকলৰ সন্মিলনত স্বয়ং প্ৰধানমন্ত্ৰীয়ে এই কথা স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে শাসন ব্যৱস্থাত পুনৰ পূৰ্ব্ববৎ শিথিলতাই দেখা দিছে। জৰুৰী অৱস্থাৰ এবছৰ পূৰ নৌহওঁতেই শাসন-ব্যৱস্থা পুনৰ আগৰ নিচিনাকৈ শিথিল হৈ পৰাটোৱে কেৱল এই কথাই প্ৰমাণ কৰে যে তাৰ মাজত দেখা দিয়া পৰিবৰ্তন অন্তৰৰ পৰা অহা নাছিল, সি থাইকৈ আহিছিল বাহিৰৰ হেঁচাত পৰিহে। গতিকে এই পৰিবৰ্তন স্থায়ী হ'বলৈ হ'লে শাসন-ব্যৱস্থাৰ সকলো স্তৰতে অভ্যাস আৰু দৃষ্টি-ভংগীৰ মৌলিক পৰিবৰ্তন হ'ব লাগিব। তদুপৰি, চৰকাৰী কৰ্মচাৰীসকলৰ দৃষ্টিভংগীৰ পৰিবৰ্তন নহ'লে তেওঁলোকে হয়তো যান্ত্ৰিকভাৱে নিয়মানুবৰ্তিতা মানি চলিব, কিন্তু তাৰ ফলত সৰ্বসাধাৰণ ৰাইজৰ বিশেষ একো উপকাৰ নহ'ব। কেৱল শুদ্ধ শাসনেই সু-শাসন নহয়, বিবেকী আৰু হৃদয়বান শাসনহে প্ৰকৃত সু-শাসন। বিশেষকৈ ভাৰতৰ নিচিনা বিধৰ দেশত শতকৰা সত্তৰজন লোকেই নিৰক্ষৰ, দাৰিদ্ৰ্য আৰু শোষণে যিসকল লোকৰ সাহ-পিত মাৰি পেলাই তেওঁলোকক ভীৰু আৰু বোবা কৰি ৰাখিছে, সেইসকল লোকৰ প্ৰকৃত সেৱা কৰিবলৈ হ'লে চৰকাৰী কৰ্মচাৰীসকল কেৱল দক্ষ আৰু নিয়মনিষ্ঠ হ'লেই নহ'ব, তেওঁলোক হ'ব লাগিব জনসাধাৰণৰ বন্ধু আৰু পথ-প্ৰদৰ্শক। নিজৰ চকুৰে দেখা এটা উদাহৰণ দিওঁ। এজন মানুহে কোনো এটা কাৰ্য্যালয়ৰ হিচাপ-ৰক্ষকৰ ওচৰত এখন বিল দাখিল কৰিছে। বিলখনৰ কেইটামান কলম ঠিকমতে পূৰ কৰা হোৱা নাছিল আৰু কেইটামান চহী ঠিক ঠাইত লোৱা হোৱা নাছিল। হিচাপ-ৰক্ষকজনে বিলখন পাহ নকৰি দলি মাৰি ঘূৰাই দিলে। যেচেৰা অৰ্দ্ধ-শিক্ষিত মানুহজনে দুই-তিনিটা অফিচৰ মাজত ভাঁত-বাতি কৰি বিলখন সম্পূৰ্ণ শুদ্ধ কৰি আনিবলৈ আৰু প্ৰায় এসপ্তাহ সময় লাগিল। অশুদ্ধ বিল এখন পাহ নকৰি হিচাপ-ৰক্ষকজনে সম্পূৰ্ণ শুদ্ধ কামেই কৰিছে, তাৰ বাবে আইনতঃ তেওঁক জগৰীয়া কৰিব নোৱাৰি। কিন্তু বিলখন দলি মাৰি ঘূৰাই নিদি তেওঁ যদি পাঁচ-দহ মিনিট সময় খৰচ কৰি সহানুভূতি আৰু ধৈৰ্য্যসহকাৰে মানুহজনক বিলখনৰ ভুলকেইটা বুজাই দিলেহেঁতেন, তেন্তে এখনটাত হোৱা কামটোৰ কাৰণে মানুহজনে এসপ্তাহ কাল ঘূৰি মৰিবলগীয়া নহ'লহেঁতেন। এই সামান্য উদাহৰণটোৰ পৰাই বুজা যায় যে কেৱল নিয়ম-নিষ্ঠ আৰু কৰ্মদক্ষতাৰ দ্বাৰাই শাসন-ব্যৱস্থাক জনসাধাৰণৰ ওচৰ চপাই আনিব নোৱাৰি; তাৰ কাৰণে প্ৰয়োজন হ'ব প্ৰকৃত সেৱাৰ মনোভাৱ আৰু মানৱিক সহানুভূতিৰ। বিশেষকৈ ভাৰতৰ নিচিনা কোটি কোটি দৰিদ্ৰ নিৰক্ষৰ মানুহৰ দেশত প্ৰকৃত সু-শাসনৰ অৰ্থ হ'ব সেৱাপৰায়ণ হৃদয়বান শাসন, কেৱল যান্ত্ৰিকভাৱে শুদ্ধ আৰু নিয়ম-নিষ্ঠ শাসন নহয়।

সামন্তবাদৰ বিদায়

১৯৫৮ চনত মেলভিন জে লাস্কি নামৰ এজন বৃটিছ সাংবাদিক আৰু লেখকে ভাৰত ভ্ৰমণ কৰিবলৈ আহি তেওঁৰ 'এন ইণ্ডিয়ান নোটবুক' নামৰ এটা প্ৰবন্ধত লিখিছিল :—

"আগবেলা মই লোকসভাৰ অধিৱেশন চালোঁ। .... আবেলি গৈ মই এটা বৰ অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন হ'লোঁ। কাৰণ মই যিফালেই যাওঁ, সেইফালেই দেখোঁ যে বহুতো মানুহ জুম পাতি পাতি বহি আছে, কিন্তু মোক দেখাৰ লগে লগেই তেওঁলোক জাকি মাৰি থিয় হৈ উঠে আৰু মই পাৰ হৈ নোযোৱালৈকে তেওঁলোকে পুনৰ নবহে। এইসকল লোকক 'চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী' নামৰ এটা চৰকাৰী আখ্যাৰে বিভূষিত কৰা হৈছে; কিন্তু নতুন চৰকাৰী কাৰ্য্যালয়ৰ য'তেই যেতিয়াই কিবা এটা বস্তুৰ দৰকাৰ হয় তেতিয়াই বৃটিছ ৰাজৰ দিনৰ নিচিনাকৈয়ে চাৰিওফালৰ পৰা চিঞৰি উঠে, 'বিয়েৰাৰ, বিয়েৰাৰ!' আচৰিত কথা। এই শব্দবোৰ নিশ্চয় সাম্ৰাজ্যবাদী শাসনৰ প্ৰতীক, ভাৰতীয়সকলৰ অমৰ্যাদাৰ প্ৰতীক, আৰু সি সাধাৰণভাৱে মানুহৰ কাৰণে অবমাননাকৰ। মই আশা কৰিছিলোঁ যে নতুন ভাৰতৰ ভাষাৰ পৰা এই শব্দবোৰ কেতিয়াবাই ধুই-মচি উটুৱাই দিয়া হৈছে। কিন্তু বৃটিছৰ দিনতকৈ এতিয়া এই শব্দবোৰ মুখত লোৱা মানুহৰ সংখ্যা বাঢ়িছেহে।

কিন্তু এতিয়া যদি মেলভিন জে. লাস্কি আকৌ এবাৰ ভাৰতলৈ ফুৰিবলৈ আহে তেন্তে তেওঁ অন্ততঃ প্ৰধান মন্ত্ৰীৰ সচিবালয়ৰ বাৰাণ্ডাত শান্তিৰে ঘূৰি ফুৰিব পাৰিব। বীৰ দি বাট পাবলৈ নোহোৱাকৈ অফিচৰ বাৰাণ্ডাত বজাৰ পাতি বহি থকা পিয়ন-চাপ্ৰাচীৰ দলে জাকি মাৰি থিয় হৈ খোজে প্ৰতি তেওঁক আৰু সচকিত কৰি নুতুলিব। কাৰণ যোৱা ১৭ জুনৰ পৰা 'প্ৰধানমন্ত্ৰীৰ সচিবালয়ৰ বাৰাণ্ডাত চাপ্ৰাচী আৰু চকি ৰখাৰ নিয়ম উঠাই দিয়া হৈছে। বহুদিনৰ পৰা প্ৰধানমন্ত্ৰীয়ে অনুভৱ কৰিছে যে বিষয়াসকলৰ দুৱাৰ-মুখত পিয়ন-চাপ্ৰাচী ৰখাৰ নিয়মটো এটা সামন্তযুগীয় প্ৰথা। সেয়ে তেওঁৰ নিৰ্দেশ অনুসৰি বিষয়াসকলৰ কাৰণে ব্যক্তিগত পিয়ন-চাপ্ৰাচী নিযুক্তি দিয়াৰ ব্যৱস্থা সেই তাৰিখৰ পৰা উঠাই দিয়া হৈছে।"

কোনো সন্দেহ নাই যে ভাৰতৰ মাটিৰ পৰা সামন্তবাদৰ অবসান ঘটাবলৈ চলোৱা সংগ্ৰামত ই এটা উল্লেখযোগ্য পদক্ষেপ। এতিয়া আমাৰ মনত আশা হৈছে যে ভাৰতৰ শাসন-ব্যৱস্থাৰ পৰা অৱশিষ্ট সামন্তবাদী প্ৰথাবোৰ ক্ৰমে ক্ৰমে দূৰ কৰি তাক এটা প্ৰকৃত গণতান্ত্ৰিক আৰু আধুনিক ৰূপ দিয়া হ'ব। জাপানত এবাৰ এজন মন্ত্ৰীয়ে লৰালৰিকৈ ৰেলৰে ক্ৰছিং পাৰ হ'বলৈ চেষ্টা কৰাৰ ফলত ৰেলগাড়ী এখন তিনি মিনিট সময়ৰ কাৰণে ৰখাই দিব লগা হৈছিল। তাৰ কাৰণেই জাপানী পাৰ্লামেণ্টত প্ৰতিবাদ আৰু সমালোচনাৰ ধুমুহা উঠিছিল। 'ষ্টেটছমেন'ৰ একালৰ ৰাজনৈতিক ভাষ্যকাৰ মহেশচন্দ্ৰই তেওঁৰ অষ্ট্ৰেলিয়াত হোৱা এটা অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিছিল। পঞ্চাশৰ দশকৰ মাজভাগত তেওঁ এবাৰ পাৰ্থলৈ যাওঁতে বিমানত এজন অষ্ট্ৰেলিয়ান সহযাত্ৰীৰ লগত তেওঁৰ আলাপ-পৰিচয় হ'ল। পাৰ্থ বিমান-বন্দৰত নামি দুয়ো দুখন টেক্সিত উঠি দিহাদিহি নিজৰ গন্তব্য-স্থানলৈ গুচি গ'ল। পিছদিনা মহেশচন্দ্ৰই অষ্ট্ৰেলিয়াৰ বৈদেশিক মন্ত্ৰীক সাক্ষাৎ কৰিবলৈ গৈ বিস্মিত হৈ দেখে যে আগদিনা তেওঁৰ লগত বিমানত একেলগে অহা আৰু বিমান-বন্দৰৰ পৰা টেক্সিত উঠি ঘৰলৈ যোৱা মানুহজনেই এতিয়া তেওঁৰ সন্মুখত বৈদেশিক মন্ত্ৰীৰ আসনত বহি আছে। ভাৰতত হোৱা হ'লে বিদেশ-প্ৰত্যাগত ভি. আই. পিৰ কাৰণে বিমান-বন্দৰত মানুহ আৰু মটৰগাড়ীৰ কাভালকেডে নিশ্চয় তেওঁৰ কাৰণে অপেক্ষা কৰি থাকিলহেঁতেন। এনেবোৰ সামন্তবাদী আড়ম্বৰ-প্ৰীতিও আমাৰ দেশৰ পৰা অবিলম্বে দূৰ হোৱা বাঞ্ছনীয়।

সাপ্তাহিক নীলাচল, ৩৮৬ সংখ্যা : ১৪ জুলাই, ১৯৭৬ চন

মিত্ৰতা কী যাত্ৰা

ভাৰত আৰু পাকিস্তানৰ মাজত কূটনৈকিত সম্পৰ্ক আকৌ স্থাপিত হ'ব। ১৯৭১ চনৰ ভাৰত চৰকাৰে বাংলাদেশক স্বীকৃতি দিয়াৰ পিচত এই সম্পৰ্ক চিন্ন হৈছিল। ভাৰতৰ ওপৰেদি পাকিস্তানী অসামৰিক বিমানক উৰিবলৈ দিবলৈ ভাৰত এতিয়া মান্তি হৈছে। উভয় দেশৰ মাজত বিমান চলাচলো আৰম্ভ হ'ব। ইছলামাবাদত সদ্য-সমাপ্ত ভাৰত-পাকিস্তান বৈঠকত এই সিদ্ধান্তসমূহ লোৱা হৈছে। চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে সুস্থ, স্বাভাৱিক আৰু মিত্ৰতামূলক সম্পৰ্ক ৰক্ষা কৰি চলাটো ভাৰতীয় পৰৰাষ্ট্ৰ নীতিৰ অন্যতম বৈশিষ্ট্য। কিন্তু বাস্তৱ অৱস্থাৰ প্ৰতিকূলতাত আৰু চীন আৰু পাকিস্তানৰ লগত ভাৰতৰ সম্পৰ্ক প্ৰত্যাশিত শান্তি, সম্প্ৰীতি আৰু সহাৱস্থানৰ পৰ্য্যায়ত নাছিল। ১৯৬২ চনত চীন-ভাৰত সংঘৰ্ষ, ১৯৬৫ চনত ভাৰত-পাকিস্তানৰ যুদ্ধ, ১৯৭১ চনত বাংলাদেশৰ ৰাজনৈতিক অৱস্থা ইত্যাদি ঘটনা প্ৰবাহত ভাৰত-চীন আৰু ভাৰত-পাকিস্তানৰ সম্পৰ্ক বিষম বৈৰিতামূলক হৈ উঠে। কিন্তু ভৌগোলিক-ৰাজনৈতিক কাৰণত ভাৰত, চীন আৰু পাকিস্তানৰ মাজত স্থায়ী বৈৰিতা সংশ্লিষ্ট সকলো পক্ষৰ বাবেই ক্ষতিকৰ; এই অত্যন্ত বাস্তৱ সত্য ভাৰত চৰকাৰে আৰম্ভৰে পৰাই হৃদয়ংগম কৰি আহিছে। চীন আৰু পাকিস্তানৰ সৈতে সম্পৰ্ক স্বাভাৱিক কৰিবলৈ ভাৰতৰ আগ্ৰহ আৰু আন্তৰিকতাৰ অভাৱ কেতিয়াও নাছিল। এই নিৰবচ্ছিন্ন প্ৰচেষ্টা এতিয়া ফলৱতী হৈছে; চীন-ভাৰত কূটনৈতিক সম্পৰ্ক স্বাভাৱিক হোৱাৰ পথত; পাকিস্তান আৰু ভাৰতৰ মাজত কূটনৈতিক সম্পৰ্কও পুনঃপ্ৰতিষ্ঠিত হ'বলৈ ধৰিছে।

চীনৰ সৈতে ৰাষ্ট্ৰদূত পৰ্য্যায়ত কূটনৈতিক সম্পৰ্ক স্থাপন সাম্প্ৰতিক কালৰ আন্তৰ্জাতিক ৰাজনীতিত এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা। ১৯৬১ চনৰ জুলাই মাহৰ ভাৰত-চীন সম্পৰ্কৰ ক্ৰমবৰ্দ্ধমান উত্তাপৰ পৰিপ্ৰেক্ষিতত শেষ ভাৰতীয় ৰাষ্ট্ৰদূত পাৰ্থসাৰথিক পিকিঙৰ পৰা মাতি অনা হৈছিল। ভাৰতে এতিয়া পুনৰ চীনলৈ ৰাষ্ট্ৰদূত প্ৰেৰণৰ সিদ্ধান্ত লোৱাত পাৰস্পৰিক স্বাৰ্থ সংশ্লিষ্ট বিষয়বোৰ দ্বি-পাক্ষিক আলোচনাৰ দ্বাৰা নিষ্পত্তি হোৱাৰ এখন ক্ষেত্ৰ প্ৰস্তুত হ'ল। পিকিঙেও ইতিমধ্যে দিল্লীলৈ ৰাষ্ট্ৰদূত প্ৰেৰণৰ সিদ্ধান্ত লৈছে। দুই দেশৰ মাজত সম্পৰ্কৰ উন্নতিত উভয় দেশ লাভৱান হ'ব, সন্দেহ নাই। চীনা নেতৃত্বৰ পৰিবৰ্তনৰ পটভূমিকাত কমিউনিষ্ট পাৰ্টিৰ এটা প্ৰভাৱশালী অংশ ছোভিয়েট ৰাছিয়া আৰু ভাৰতসহ প্ৰতিবেশী দেশসমূহৰ সৈতে স্বাভাৱিক সম্পৰ্ক স্থাপন কৰি সীমান্তৰ উত্তেজনা হ্ৰাস কৰাৰ দাবীত সোচ্চাৰ হৈছিল বুলি যি-সংবাদ ওলাইছে, এই পৰঙ্গত সেইটো উল্লেখযোগ্য। পশ্চিমীয়া পৰ্যবেক্ষক মহলৰ ধাৰণা, ছোভিয়েট ৰাছিয়াৰ সৈতে চীনৰ বৰ্তমান তিক্ত সম্পৰ্কৰ প্ৰিপ্ৰেক্ষিতত ভাৰত-চীন সম্পৰ্ক স্বাভাৱিক কৰাটো চীনৰ পক্ষে আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত লাভজনক হ'ব। আনফালে, চীনৰ সৈতে স্বাভাৱিক সম্পৰ্কই ভাৰতক পাকিস্তানৰ লগত শান্তিপূৰ্ণ সহাৱস্থানৰ সম্পৰ্ক স্থাপন কৰাত সহায় কৰিব। চীন, ভাৰত আৰু পাকিস্তানৰ এই বুজা-বুজিয়ে পৃথিৱীৰ এক-তৃতীয়াংশ মানুহক প্ৰত্যক্ষভাৱে সুফল প্ৰদান কৰিব বুলি আমেৰিকাৰ সংবাদপত্ৰত মন্তব্য কৰা হৈছে।

চীনৰ সৈতে পোন্ধৰ বছৰৰ উত্তাপ প্ৰশমনৰ প্ৰচেষ্টাৰ পিছতে পাকিস্তান-ভাৰতৰ সম্পৰ্কত এটা নতুন অধ্যায়ৰ সূচনা হৈছে। ইতিপূৰ্বে পাকিস্তান চৰকাৰে আন্তৰ্জাতিক অসামৰিক বিমান চলাচল সংস্থাৰ ওচৰত

অভিযোগ কৰিছিল যে ভাৰতে তেওঁলোকৰ আকাশ পথেদি পাকিস্তানী বিমান চলাচল কৰাৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰি আন্তৰ্জাতিক আইন লংঘন কৰিছে।

কূটনৈতিক সম্পৰ্ক পুনৰ স্থাপন কৰিবৰ কাৰণে আলোচনাৰ অনুৰোধ ভাৰত চৰকাৰে মানি লোৱাত পাকিস্তানে অৱশ্যে এই অভিযোগ প্ৰত্যাহাৰ কৰিবলৈ মান্তি হয়। দৰাচলতে, চিমলা চুক্তিত উভয় দেশৰ মাজত উদ্ভূত হোৱা সমস্যাবোৰ সমাধানৰ বাবে যি কাৰ্য-প্ৰণালী নিৰ্দিষ্ট কৰা আছে, সেই অনুসৰি কোনো আন্তৰ্জাতিক সন্থাৰ ওচৰলৈ যোৱাৰ প্ৰশ্নই নুঠে। কিন্তু কাৰ্যতঃ যোৱা এবছৰ ধৰি উভয় দেশৰ পাৰস্পৰিক সাক্ষাৎ-আলোচনা-মতবিনিময় সম্পূৰ্ণ স্বাভাৱিক কৰাৰ ক্ষেত্ৰত এটা অচলাৱস্থাৰ সৃষ্টি হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে এই উপ-মহাদেশৰ শান্তি সুনিশ্চিত কৰাৰ বাবে যি প্ৰণালীবদ্ধ প্ৰয়াস চলাই আছে, তাৰ অন্যতম উজ্জ্বল দৃষ্টান্ত হ'ল পাকিস্তানৰ প্ৰতি তেওঁৰ বাস্তৱবাদী মনোভাব। পাকিস্তানী প্ৰধানমন্ত্ৰী ভূট্টোক তেওঁ লিখিতভাৱে জনায় যে বিমান চলাচল, যোগাযোগ ব্যৱস্থা আৰু কূটনৈতিক সম্পৰ্ক প্ৰতিষ্ঠা আদি সকলোবোৰ বিষয়ে পাকিস্তানৰ সৈতে আলোচনা কৰিবলৈ ভাৰত সাজু আছে। সুখৰ কথা যে পাকিস্তানে এই আহ্বানত সঁহাৰি দিয়ে আৰু ফলত ইছলামাবাদ বৈঠকত কেইটামান সুনিৰ্দিষ্ট সিদ্ধান্ত লোৱা সম্ভৱ হৈছে। ভাৰতীয় প্ৰতিনিধিয়ে আলোচনা কালত এই আশা প্ৰকাশ কৰিছে যে এইবাৰ পাৰস্পৰিক উত্তেজনাৰ স্থায়ী অৱসান হ'ব আৰু উভয় দেশৰ মাজত বিশ্বাস আৰু সহযোগিতাৰ এটা নতুন যুগৰ সূত্ৰপাত হ'ব।

খেল আৰু ৰাজনীতি

অলিম্পিকৰ সৃষ্টি হৈছিল গ্ৰীক সভ্যতাৰ স্বৰ্ণ-যুগত। অৱশ্যে তেতিয়াৰ অলিম্পিক এতিয়াৰ দৰে কেৱল শাৰীৰিক ক্ৰীড়া-নৈপুণ্যৰ মাজতেই সীমাবদ্ধ নাছিল। গ্ৰীক অলিম্পিকত খেল-ধেমালিৰ লগত সাহিত্য, নাটক, সংগীত, চিত্ৰকলা আৰু বাগ্মিতাও প্ৰতিযোগিতাৰ বিষয় আছিল। প্ৰাচীন গ্ৰীকসকলৰ দৈহিক আৰু মানসিক উৎকৰ্ষ সাধনত অলিম্পিক প্ৰতিযোগিতাই নিশ্চয় বিপুল বৰঙণি যোগাইছিল। কিন্তু ঐতিহাসিক বিচাৰত অলিম্পিকৰ ভূমিকা আছিল তাতকৈও বেছি তাৎপৰ্যপূৰ্ণ। বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰ আৰু জাতি-উপজাতিত শতধা-বিভক্ত হৈ থকা গ্ৰীকসকলৰ মনত একতাৰ চেতনা জগাই ৰাখিছিল যাইকে দুটা বস্তুৱে— গ্ৰীক মহাকাব্য দুখনে আৰু অলিম্পিক প্ৰতিযোগিতাই।

প্ৰায় বাৰশ বছৰ একেলেঠাৰিয়ে চলাৰ পিছত সম্ৰাট থিয়ডছিয়াছে খ্ৰীঃ ৩৯৩ শকত অলিম্পিক নিষিদ্ধ কৰি দিয়ে। তেওঁ তেনে কৰাৰ যুক্তি-সংগত কাৰণো আছিল। সময় পাৰ হৈ যোৱাৰ লগে লগে মানুহে অলিম্পিকৰ পবিত্ৰ আদৰ্শ পাহৰি পেলাইছিল আৰু প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণৰ মাজত নানা প্ৰকাৰৰ দুৰ্নীতি আৰু অসাধুতাই প্ৰৱেশ কৰিছিল। তাৰ পিছত বহু শতাব্দী পাৰ হৈ গ'ল। কিন্তু গ্ৰীক সভ্যতাৰ অন্যান্য বহুতো চিৰ যুগমীয়া উত্তৰাধিকাৰৰ দৰে অলিম্পিকৰ কথাও পিছৰ যুগৰ মানুহে সমূলি পাহৰি যাব নোৱাৰিলে। প্ৰায় ডেৰ হাজাৰ বছৰ বিস্মৃত হৈ থকাৰ পিছত ১৮৯৬ চনত অলিম্পিকক পুনৰ্জীবিত কৰা হ'ল। আধুনিক কালৰ প্ৰথমখন অলিম্পিক অনুষ্ঠিত হ'ল অলিম্পিকৰ জন্মভূমি গ্ৰীচৰ ৰাজধানী এথেন্সত।

কিন্তু অলিম্পিকৰ মহৎ আদৰ্শ আধুনিক মানুহে জীয়াই ৰাখিব পাৰিছেনে? যোৱা ১৮ জুলাইত আৰম্ভ হোৱা মনট্ৰিল অলিম্পিকৰ কাণ্ড-কাৰখানালৈ চাই সেই কথা বিশ্বাস নহয়। গ্ৰীক অলিম্পিকৰ এটা প্ৰধান নিয়ম আছিল এই যে আন সময়ত বিভিন্ন গ্ৰীক ৰাষ্ট্ৰৰ মাজত বিমানেই যুদ্ধ-বিগ্ৰহ নহওক কিয়, অলিম্পিক প্ৰতিযোগিতা চলি থকা দিনকেইটাত সকলোৱেই অস্ত্ৰ-শস্ত্ৰ সামৰি থৈ সম্পূৰ্ণ শান্তি বজাই ৰাখিব লাগিব। কিন্তু এতিয়া মনট্ৰিলত অলিম্পিক আৰম্ভ হোৱাৰ সময়তো লেবাননত ভাতৃঘাতী যুদ্ধৰ অৱসান হোৱা নাই, নাইবা দক্ষিণ আফ্ৰিকাত ক'লা মানুহৰ বিৰুদ্ধে চলা পাশৱিক অত্যাচাৰ বন্ধ হোৱা নাই। ইলিয়াড, ওডিচিৰ দৰে অলিম্পিকৰো এটা প্ৰধান সাফল্য আছিল এয়ে যে ই শতধা-বিভক্ত গ্ৰীকসকলৰ মনত এটা ঐক্যৰ চেতনা জাগৰুক কৰি ৰাখিছিল। কিন্তু মনট্ৰিল অলিম্পিকে পৃথিবীক ঐক্যবদ্ধ কৰাৰ বিপৰীতে বগা আৰু ক'লা দুভাগত ভাগ কৰাৰ উপক্ৰম কৰিছে। দক্ষিণ আফ্ৰিকাত ক'লা মানুহৰ বিৰুদ্ধে পাশৱিক দমন-নীতি চলি থকাৰ সময়ত বগা মানুহৰ দেশ নিউজিলেণ্ডে তালৈ এটা ৰাগ্‌বী টিম পঠোৱাৰ প্ৰতিবাদত অলিম্পিক প্ৰতিযোগিতাৰ উদ্বোধন হ'বৰ দিনাই আফ্ৰিকাৰ কুৰিখন দেশে অলিম্পিক ত্যাগ কৰিছে। ঘটনাৰ গতি-সোঁত দেখি অনুমান হয় যে অলিম্পিকৰ ভৱিষ্যত অন্ধকাৰ; জাতি-বৰ্ণ নিৰ্বিশেষে ই বিশ্ববাসীৰ মনত মানৱিক ঐক্য-চেতনা জগাই তোলাৰ পৰিৱৰ্তে নিজেই স্থায়ীভাৱে দ্বিধা-বিভক্ত হৈ যোৱাৰ উপক্ৰম কৰিছে। মানুহে মুখ ফুলি স্বীকাৰ নকৰিলেও এই কথা সত্য যে আধুনিক মানৱ সমাজ ক'লা আৰু বগা দুভাগত ভাগ হৈ গৈছে; ইতিহাসত যুগ যুগ ধৰি চলি অহা সংঘৰ্ষবোৰৰ ভিতৰত শেহতীয়া সংঘৰ্ষ হ'ল ক'লা আৰু বগাৰ

সংঘৰ্ষ। বহু হাজাৰ বছৰ ধৰি নতজানু হৈ থকাৰ পিছত অৱশেষত ক'লা মানুহে স্বাধিকাৰ চেতনাৰ গৌৰৱত মূৰ দাঙি থিয় দিছে; বিংশ শতাব্দীৰ শেষাৰ্দ্ধত আটাইতকৈ তাৎপৰ্য্যপূৰ্ণ সংঘৰ্ষ বা প্ৰতিযোগিতা হ'ল ক'লা আৰু বগাৰ সংঘৰ্ষ। ব্ৰিটেইনত সম্প্ৰতি চলি থকা ক'লা আৰু বগা সংঘৰ্ষয়ো তাৰেই ইংগিত দিছে। আশা কৰা হৈছিল যে অলিম্পিকৰ মহৎ আদৰ্শ অন্তৰেৰে গ্ৰহণ কৰি অন্ততঃ অলিম্পিক প্ৰতিযোগিতা চলি থকা দিনকেইটা পৃথিৱীৰ বিভিন্ন দেশ আৰু জাতিয়ে তেওঁলোকৰ অন্তহীন বিবাদ আৰু সংঘৰ্ষ সাময়িকভাৱে হ'লেও স্থগিত ৰাখিব পাৰিব। কিন্তু কাৰ্য্যক্ষেত্ৰত সেয়া হৈ নুঠিল। মানৱ জাতিৰ ভাগ্যত আৰু কি আছে এতিয়াও কোৱা টান।

অলিম্পিক চলি থকাৰ সময়তে খেলা-ধূলাৰ বিষয়ে কিছু আলোচনা কৰাটো প্ৰাসঙ্গিক হ'ব। ভাৰতৰ নিচিনা প্ৰায় ৬০ কোটি মানুহৰ বিশাল দেশ এখনে হকীৰ বাহিৰে খেলা-ধূলাৰ অন্যান্য বিভাগবোৰত বিশ্ব প্ৰতিযোগিতাত আজিলৈকে বিশেষ একো সুনাম অৰ্জন কৰিব পৰা নাই। ভাৰতততকৈ আকাৰত বহুত সৰু আৰু বহুত দুখীয়া দেশেও এই ক্ষেত্ৰত ভাৰতততকৈ বেছি যোগ্যতাৰ পৰিচয় দিব পাৰিছে। ই ভাৰতৰ পক্ষে নিশ্চয় অতি অগৌৰৱৰ কথা। খেলা-ধূলাত ভাৰতৰ এনে হীনাৱস্থাৰ অন্যান্য বহুতো কাৰণৰ ভিতৰত খেল প্ৰশাসনৰ বহুতো দুৰ্নীতি আৰু বেমেজালিও এটা প্ৰধান কাৰণ বুলি প্ৰমাণিত হৈছে। এই কথা উপলব্ধি কৰি ভাৰত চৰকাৰে ১৯৭৫ চনত খেল-প্ৰশাসনৰে সংস্কাৰ সাধিবলৈ কেতবোৰ ব্যৱস্থা হাতত লয়। যাৰ ভিতৰত প্ৰধান এটা আছিল খেল-ধেমালিৰ পৰিচালনা ব্যৱস্থাত স্থায়ীভাৱে গোজপুতি বহা ন্যস্ত-স্বাৰ্থৰ উচ্ছেদ সাধন। এই উদ্দেশ্যে ভাৰত চৰকাৰে এনে এটা নিৰ্দেশ জাৰি কৰে যে জাতীয় ক্ৰীড়া সংস্থাবোৰৰ কোনো বিষয়ববীয়াই চাৰি বছৰীয়া একোটা টাৰ্মৰ দুটা টাৰ্মতকৈ অধিক কাল এনে বিষয়বাব লৈ থাকিব নোৱাৰিব, আৰু কোনো বিষয়ববীয়াই এটাতকৈ অধিক বিষয়ৰ দায়িত্ব ল'ব নোৱাৰিব। সেই আৰ্হিতে অসম চৰকাৰেও চলিত বছৰৰ মে' মাহত এখন চাৰ্কুলাৰযোগে নিৰ্দেশ দিয়ে যে অসমৰ সংস্থাবোৰৰ বিষয়ববীয়া সকলেও তিনি বছৰীয়া টাৰ্মৰ দুটাতকৈ অধিক কাল বিষয়বাব লৈ থাকিব নোৱাৰিব আৰু কোনো বিষয়ববীয়াই এটাতকৈ অধিক বিষয়ৰ দায়িত্ব ল'ব নোৱাৰিব। এই চৰ্তবোৰ পূৰণ কৰাৰ সময় যোৱা জুন মাহতে উকলি গৈছে। কিন্তু আমি খবৰ পোৱা মতে অসমৰ ক্ৰীড়া-সংস্থাবোৰৰ সকলো বিষয়ববীয়াই (তাৰে কোনো কোনোৱে কুৰি বছৰতকৈ অধিক কাল স্থায়ীভাৱে এনে বিষয়বাব ভোগ কৰি আহিছে আৰু কোনো কোনোৱে চাৰি-পাঁচটা বিষয়বাব দখল কৰি আছে।) এতিয়ালৈকে সেই চৰ্ত পালন কৰা নাই। বিশ্বৰ ক্ৰীড়া-জগতত ভাৰতৰ যি দুখ লগা স্থান, ভাৰতৰ ক্ৰীড়া জগতততো অসমৰ সেই একে স্থান। টেবুল টেনিছৰ বাহিৰে আন কোনো ক্ষেত্ৰতে অসমৰ খেলুৱৈয়ে সৰ্বভাৰতীয় ক্ষেত্ৰত বিশেষ কৃতিত্ব দেখুৱাব পৰা নাই। সুখৰ কথা যে সম্প্ৰতি খেলা-ধূলাৰ প্ৰতি চৰকাৰে বিশেষ মনোযোগ দিছে আৰু National fitness বা জাতীয় স্বাস্থ্যোন্নতিক ৰাষ্ট্ৰীয় কৰ্মোদ্যমক এটা বিশেষ লক্ষ্য বুলি ধৰা হৈছে। এই লক্ষ্যত উপনীত হ'বলৈ হ'লে দেশৰ ক্ৰীড়া সস্থাবোৰৰ মাজত বহুদিন ধৰি পুঞ্জীভূত হোৱা আবৰ্জনাবোৰ দূৰ কৰিব লাগিব আৰু ন্যস্ত স্বাৰ্থৰ নাগপাশৰ পৰা সেইবোৰক মুক্ত কৰিব লাগিব। চৰকাৰে উচিত ব্যৱস্থাই হাতত লৈছে, এতিয়া সেই ব্যৱস্থা সম্পূৰ্ণভাৱে কাৰ্যকৰী কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে।

ভূমিকম্প

মৃত্যু জীৱনৰ স্বাভাৱিক অনিবাৰ্য্য পৰিণতি। তথাপি ভূমিকম্পৰ নিচিনা প্ৰাকৃতিক বিপৰ্যয়ত যেতিয়া একেলগে হাজাৰ হাজাৰ বা লাখ লাখ মানুহৰ মৃত্যু ঘটে, তেতিয়া জীৱনৰ অসহায়তা আৰু ক্ষণভংগুৰতাৰ প্ৰশ্নই মানুহৰ মন নতুনকৈ উদ্বেলিত কৰি তোলে। ৰোগ, যুদ্ধ-বিগ্ৰহ, প্ৰাকৃতিক বিপৰ্যয় আৰু আকস্মিক দুৰ্ঘটনা— এই কেইটাই হ'ল মানুহৰ অকাল আৰু অস্বাভাৱিক মৃত্যুৰ প্ৰধান কাৰণ। ৰোগক মানুহে লাহে লাহে জয় কৰি আনিছে; এতিয়া নহ'লেও ভৱিষ্যতে এখন যুদ্ধ-বিহীন পৃথিৱীৰ কল্পনা কৰাটো একেবাৰে অসম্ভৱ নহয়। কিন্তু ভূমিকম্পৰ নিচিনা বিৰাট প্ৰাকৃতিক বিপৰ্যয়ৰ সন্মুখত মানুহ এতিয়াও বলিৰ পাঠাৰ দৰে অসহায় হৈয়ে থাকিব লগা হৈছে। খ্ৰীষ্টীয় ১০০০ চনৰ পৰা এতিয়ালৈকে গোটেই পৃথিৱীত প্ৰায় ১৫ লাখ মানুহ ভূমিকম্পৰ কবলত মৃত্যুমুখত পতিত হৈছে। মানুহে এতিয়ালৈকে প্ৰকৃতিৰ অজস্ৰ প্ৰতিকূল শক্তিক বশীভূত কৰিবলৈ সক্ষম হৈছে, মহাকাশৰ কোটি কোটি মাইল পথ অতিক্ৰম কৰি গ্ৰহান্তৰলৈ যোৱাটোও সম্ভৱ হৈছে; কিন্তু চকুৰ পলকতে লাখ লাখ মানুহক পোক-পৰুৱাৰ দৰে মাৰি নিঃশেষ কৰিব পৰা ভূমিকম্পৰ প্ৰতিকাৰ এতিয়াও চিন্তাগোচৰ হোৱা নাই।

সম্প্ৰতি চীনত হৈ যোৱা প্ৰলয়ংকৰ ভূমিকম্পই প্ৰকৃতিৰ কালান্তৰ ৰুদ্ৰ-ৰূপৰ সন্মুখত মানুহৰ অসহায়তাৰ কথা নতুনকৈ আমাক সোঁৱৰাই দিছে। এই ভূমিকম্পত চীনৰ মাত্ৰ একেখন নগৰতে ১ লাখৰ পৰা ১০ লাখ মানুহ সম্পূৰ্ণ নিশ্চিহ্ন হৈ যোৱা বুলি অনুমান কৰা হৈছে। ১৯৭৬ চনত ভূমিকম্পই কেৱল চীনতে নহয় পৃথিৱীৰ অন্যান্য বহুতো অঞ্চলতো ব্যাপক ধ্বংসলীলা সৃষ্টি কৰিছে। এই বছৰতে গোৱাটেমালাত প্ৰায় ২৩,০০০ মানুহে ভূমিকম্পত প্ৰাণ হেৰুৱাইছিল। তাৰো আগতে ১৯৭০ চনত পেৰুৰ ভূমিকম্পত প্ৰায় ৬০,০০০ মানুহৰ মৃত্যু ঘটিছিল। কিন্তু চীনৰ ক্ষেত্ৰত ভূমিকম্পৰ এটা বিশেষ অভিশাপ থকা যেন অনুমান হয়। ১০৫৭ চনৰ পৰা এতিয়ালৈকে সেই দেশত মুঠতে আঠটা অতি বৃহৎ আৰু প্ৰলয়ংকৰী ভূমিকম্প ঘটি গৈছে। তাৰে ভিতৰত ১৫৫৬ চনৰ কেৱল একেটা ভূমিকম্পতে চীনৰ এখন নগৰত ৮,৫০,০০০ জন মানুহে প্ৰাণ হেৰুৱাইছিল। সম্প্ৰতি হৈ যোৱা ভূমিকম্পৰ বিপদ বা মৰণ আশংকাও এতিয়াও সম্পূৰ্ণভাৱে পাৰ হৈ যোৱা নাই। পিকিঙৰ ৬০ লাখ মানুহে ঘৰ-বাৰী ত্যাগ কৰি অস্থায়ী তম্বু সাজি অনিশ্চিত ভৱিষ্যৎ আৰু আকস্মিক মৃত্যুৰ ক্ষণ গণি দিন কটাব লগা হৈছে। কিন্তু এই চৰম বিপৰ্যয়ৰ মাজতো চীনৰ জনসাধাৰণে যি অসাধাৰণ মনোবল আৰু ধৈৰ্য্য আৰু চৰিত্ৰ-শক্তিৰ পৰিচয় দিছে, সমগ্ৰ বিশ্বৰ সশ্ৰদ্ধ প্ৰশংসা অৰ্জন কৰিছে।

কিন্তু যোৱা দুশ বছৰৰ ভিতৰত মানুহৰ জীৱনবোধত যে কিমান বৈপ্লৱিক পৰিবৰ্তন ঘটিছে, চীনৰ সাম্প্ৰতিক ভূমিকম্প বা এই শতাব্দীৰ অন্যান্য নৰঘাতক ভূমিকম্পবোৰে সেই কথা নতুনকৈ প্ৰমাণ কৰিছে। ১৭৫৫ চনৰ ১ নবেম্বৰত পৰ্টুগালৰ লিছবন নগৰত এটা বিৰাট ভূমিকম্প হৈছিল। সেই দিনটো আছিল খ্ৰীষ্টিয়ানসকলৰ 'অল ছেইন্টছ ডে'। গতিকে হাজাৰ হাজাৰ আবাল-বৃদ্ধ-বনিতা লিছবনৰ গীৰ্জাবোৰত প্ৰাৰ্থনাৰ কাৰণে সমৱেত হৈছিল। ভূমিকম্পৰ প্ৰবল জোকাৰণিত লিছবনৰ আটাইবোৰ গীৰ্জা ধ্বংসস্তূপত পৰিণত হ'ল আৰু ১৫,০০০ মানুহ সেই ধ্বংসস্তূপৰ তলত সমূলি পিষ্ট হ'ল। লিছবনৰ এই ভূমিকম্পই ওঠৰ শতিকাৰ ইউৰোপৰ চিন্তা-জগতত এটা বিৰাট বৌদ্ধিক আৰু আধ্যাত্মিক ভূমিকম্পৰ সৃষ্টি

কৰিলে। সেই সময়ৰ ইউৰোপৰ চিন্তানায়ক ভল্টেয়াৰৰ প্ৰতিক্ৰিয়াতে তাৰ প্ৰমাণ পোৱা যায়। লিছবনৰ ভূমিকম্পৰ আগ মুহূৰ্তলৈকে ভল্টেয়াৰে লাইবনিৎসৰ শিক্ষাকে সৰোগত কৰি বিশ্বাস কৰিছিল যে মহাবিশ্বৰ ভিতৰত আমাৰ পৃথিৱীখনেই হ'ল সৰ্বোত্তম, আৰু ইয়াত ঘটা সকলো ঘটনাই মানুহৰ মংগলৰ কাৰণেই ঘটে। বিশ্বজগতৰ গতি-প্ৰকৃতি অনুধাৱন কৰি তেওঁৰ মনত ধাৰণা জন্মিছিল যে এক পৰম শক্তিমান আৰু মংগলময় ঈশ্বৰে এই বিপুল বিশ্ব-সৃষ্টি পৰিচালনা কৰে আৰু সেই ঈশ্বৰ হ'ল এজন Supreme Geometrician অৰ্থাৎ সৰ্বশ্ৰেষ্ঠ জ্যামিতিবিদ। সাধাৰণভাৱে ইয়েই আছিল ওঠৰ শতিকাৰ যুক্তিবাদী ইউৰোপৰ আধ্যাত্মিক বিশ্বাস বা জীৱন-দৰ্শন। কিন্তু লিছবনৰ ভূমিকম্পই মুহূৰ্তৰ ভিতৰত এই বিশ্বাসৰ ভেটি কঁপাই পেলালে। সকলোৰে মুখে মুখে একেটাই প্ৰশ্ন উচ্চাৰিত হ'ল— ঈশ্বৰ যদি সৰ্বশক্তিমান, মংগলময় আৰু ন্যায়-পৰায়ণেই হয়, তেন্তে ঈশ্বৰৰ প্ৰাৰ্থনাৰ কাৰণে গীৰ্জাত সমবেত হোৱা হাজাৰ হাজাৰ নিৰপৰাধ মানুহক তেওঁ কিয় মুহূৰ্তৰ ভিতৰতে নিৰ্মমভাৱে হত্যা কৰিলে? বহুতেই ক'বলৈ ধৰিলে যে এই প্ৰলয়ংকৰ ভূমিকম্প মানুহৰ কিবা এক অজ্ঞাত পাপৰ শাস্তিৰ বাহিৰে আন একো নহয় (এই প্ৰসংগতে স্মৰ্তব্য যে ১৯৩৫ চনত বিহাৰৰ ভূমিকম্পকো মহাত্মা গান্ধীয়ে ভাৰতীয় হিন্দুসকলৰ অস্পৃশ্যতাৰ মহাপাপৰ শাস্তি বুলি গণ্য কৰিছিল, আৰু সেই কথা শুনি জৱাহৰলাল নেহৰুৰে খণ্ডত জ্বলি-পকি উঠিছিল)। কোনোবা এজনে এখন কিতাপ লিখি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিলে যে 'ইনকুইজিশ্যন' আৰু 'জেছুইট'সকলৰ পাপৰ শাস্তি স্বৰূপেই ঈশ্বৰে এই ভূমিকম্প সৃষ্টি কৰিছে। লণ্ডনৰ প্ৰটেষ্টানসকলে প্ৰচাৰ কৰিলে যে পৰ্টুগীজসকলৰ পোপৰ প্ৰতি আনুগত্য আৰু ভাৰ্জিন মেৰীৰ উপাসনাৰ পাপৰ শাস্তি স্বৰূপেই বাছি বাছি লিছবনতে ভূমিকম্পৰ এই ধ্বংসলীলা সৃষ্টি কৰা হৈছে। কিন্তু এইবোৰ হ'ল সাধাৰণ মানুহৰ সাধাৰণ প্ৰতিক্ৰিয়া। লিছবনৰ ভূমিকম্পই আচল ভূমিকম্পৰ সৃষ্টি কৰিলে ভল্টেয়াৰৰ মনত— যিজন মানুহ আছিল ওঠৰ শতিকাৰ ইউৰোপৰ যুক্তিবাদী দাৰ্শনিক আশাবাদৰ প্ৰতিভূ। এটা কবিতা লিখি তেওঁ প্ৰশ্ন কৰিলে— 'এই ল'ৰা-ছোৱালীবোৰে এনে কি মহাপাপ কৰিছিল— যাৰ কাৰণে মাকৰ বুকুতে সিহঁতক পিষ্ট কৰি ৰক্তাক্ত মাংসপিণ্ডত পৰিণত কৰা হ'ল? ঈশ্বৰে যদি পৰ্টুগিজসকলক শাস্তি দিবলৈকে বিচাৰিছিল, তেন্তে তেওঁ ইয়াতকৈ কম নিৰ্দয় উপায় এটা বাছি ল'ব নোৱাৰিলেহেঁতেননে?' লিছবনৰ ভূমিকম্পই ভল্টেয়াৰৰ সমস্ত জীৱনৰ সযত্ন-পালিত আধ্যাত্মিক বিশ্বাসৰ ভেটি কঁপাই তেওঁৰ মনত এনে প্ৰবল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে যে মাত্ৰ দহদিন সময়ৰ ভিতৰতে তেওঁ লিখি উলিয়ালে 'কেণ্ডিড'— বহুতৰ মতে বিশ্ব সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ চুটি গল্প— আৰু ওঠৰ শতিকাৰ ইউৰোপৰ আধ্যাত্মিক আশাবাদৰ বিৰুদ্ধে নিৰ্মমতম আক্ৰমণ। মানুহৰ চিৰন্তন প্ৰশ্নবোৰ তেওঁ এই দাৰ্শনিক কাহিনীত নতুনকৈ উত্থাপন কৰিলে— 'ঈশ্বৰ যদি প্ৰেমময়েই হয়, তেন্তে মানুহে শাস্তি পাব লাগে কিয়? মানুহ আচলতে কি? মানুহৰ নিয়তি কি?' 'কেণ্ডিড'ত তেওঁ এই সিদ্ধান্ত ঘোষণা কৰিলে যে মানুহে এইবোৰ প্ৰশ্নৰ কেতিয়াও উত্তৰ পাব নোৱাৰে। সমগ্ৰ বিশ্ব-বিধান মানুহৰ প্ৰতি নিৰ্মমভাৱে উদাসীন; জীৱনৰ সকলো ঘটনাই আকস্মিক বা আপতিক। ইয়াত কাৰ্য-কাৰণৰ কোনো সম্পৰ্ক নাই। নিৰাসক্তভাৱে কাম কৰি যোৱাই হ'ল মানুহৰ একমাত্ৰ সান্ত্বনা আৰু বিধিলিপি— We must cultivate our garden.

লিছবনৰ ভূমিকম্প ঘটিবৰ সময়ত জাৰ্মান কবি গ্যেটেৰ বয়স আছিল মাত্ৰ ছবছৰ। কিন্তু তেবোঁ তেওঁৰ আত্মজীৱনীত লিছবনৰ ভূমিকম্পকেই সেই সময়ৰ আটাইতকৈ চিত্ত-চাঞ্চল্যকাৰী ঘটনা বুলি বৰ্ণনা কৰিছে।

কিন্তু চীনৰ সাম্প্ৰতিক ভূমিকম্প বা বিংশ শতাব্দীৰ অন্যান্য ভয়াবহ ভূমিকম্পবোৰে ভাবুক বা দাৰ্শনিকৰ মনত ওঠৰ শতিকাৰ ইউৰোপত হোৱাৰ নিচিনা কোনো ভাবোন্মাদনাৰ সৃষ্টি কৰা নাই। বৰং মানুহে মনে মনে এনে এটা বিশ্বাস পালন কৰিছে যে যি মানুহে গ্ৰহ-গ্ৰহান্তৰ জয় কৰিবলৈ আগবাঢ়িছে, সেই মানুহে এদিন ভূমিকম্পকো জয় কৰিব।

সাপ্তাহিক নীলাচল, ৩৯২ সংখ্যা : ১৮ আগষ্ট, ১৯৭৬ চন

ধৰ্মৰ ব্যৱসায়

মিৰাকল বা অলৌকিক শক্তি-প্ৰদৰ্শনৰ দ্বাৰা মানুহক ধৰ্ম-পথলৈ আনিবলৈ কৰা চেষ্টাই আত্মাক কলুষিত কৰে।

—ৰাল্‌ফ্ ৱাল্‌ডো এমাৰ্ছন

যি অৰ্থত গান্ধী, আইনষ্টাইন বা এলবাৰ্ট ছোৱেইংজাৰে নিজকে ধাৰ্মিক মানুহ বুলি ভাবে, সেই অৰ্থত মানুহৰ জীৱনত ধৰ্মৰ নিশ্চয় এটা অৰ্থ আছে। আন একো নহ'লেও সি মানুহৰ অস্তিত্ব-চেতনাক কবিত্ব-মণ্ডিত কৰি ৰাখে। কিন্তু ধৰ্মৰ অন্যান্য বহুতো দিশ আছে— যিবোৰ কদৰ্য, ভয়ংকৰ আৰু মনুষ্যত্ব-বিনাশী। তাৰে ভিতৰত এটা হ'ল ধৰ্মৰ ব্যৱসায়। মানুহৰ ভয়, অসহায়তা আৰু কু-সংস্কাৰৰ সুযোগ লৈ বহুতো মানুহে যুগ যুগ ধৰি ধৰ্মৰ ব্যৱসায় কৰি আহিছে। মধ্যযুগত খৃষ্টানসকলৰ কোনো কোনো পোপে নগদ ধনৰ বিনিময়ত মানুহক স্বৰ্গলৈ যোৱাৰ প্ৰৱেশ-পত্ৰ বিক্ৰী কৰিছিল। সকলো ধৰ্মৰে ধুৰন্ধৰ ব্যৱসায়ীসকলে বিভিন্ন ৰূপত এনে ব্যৱসায় কৰি আহিছে আৰু এতিয়াও কৰি আছে।

যোৱা কেইবছৰমানত ভাৰতত এনে এক নতুন শ্ৰেণীৰ ধৰ্ম-গুৰুৰ 'আবিৰ্ভাৱ' হৈছে যি সকলক কেন্দ্ৰ কৰি ধৰ্মৰ এটা বিৰাট ব্যৱসায় গঢ়ি উঠিছে। এই গুৰুসকলৰ বহুতেই নিজকে ভগৱান বুলি দাবী কৰে আৰু তেওঁলোকৰ ভক্তসকলেও সেই দাবীত বিশ্বাস কৰে। এই 'ভগৱান'সকলৰ ক্ষেত্ৰত দুটা কথা বিশেষভাৱে লক্ষ্যণীয়। প্ৰথমটো হ'ল এই যে সমগ্ৰ পৃথিৱীৰ ভিতৰত বাছি বাছি কেৱল ভাৰতবৰ্ষতে, আৰু তাৰো কেইটা বছৰমানৰ ভিতৰতে, একেলগে ইমানবোৰ ভগৱান আবিৰ্ভাৱ ঘটিছে। তেওঁলোকৰ স্বদেশী ভক্তসকলৰ ভিতৰত শিক্ষিত আৰু বিত্তবান মানুহৰ সংখ্যাই সৰহ। ভাৰতৰ বাহিৰত যিখন দেশত তেওঁলোকে আটাইতকৈ ডাঙৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে, সেইখন হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰ। আমেৰিকাত ইন্‌ষ্টেণ্ট ধৰ্মৰ ব্যৱসায় কৰি এইসকল ধৰ্মগুৰুৰ বহুতেই কোটিপতি হ'বলৈ সমৰ্থ হৈছে। এনে এজন ধৰ্মগুৰুৰ বিষয়ে অলপতে 'টাইম' মেগাজিনৰ এটা প্ৰবন্ধত লেখা হৈছে— "বেছিভাগ গুৰুৱেই এটা মন্থৰ দীঘলীয়া প্ৰক্ৰিয়াৰ মাজেদি শিষ্যসকলক আধ্যাত্মিক বিবৰ্তনৰ পথেদি আগুৱাই লৈ যায়। কিন্তু এইজনা গুৰুৱে ১০০ ডলাৰ গুৰু-দক্ষিণাৰ বিনিময়ত মাত্ৰ দুদিনৰ ভিতৰতে শিষ্যক শক্তি প্ৰদান কৰে। সিদ্ধিৰ চৰম মুহূৰ্ততো অহাৰ সময়ত গুৰুজনে শিষ্যৰ মুদি থকা চকু দুটা নিজৰ আঙুলিৰে আলফুলকৈ স্পৰ্শ কৰে আৰু মূৰটো আগা-পিছু কৰি ঠেলি দিয়ে। শিষ্যজনে তেতিয়া বিদ্যুৎ-প্ৰবাহ সঞ্চাৰিত হোৱাৰ দৰে নিজৰ চেতনাত কিবা এটা শক্তি সঞ্চাৰিত হোৱা যেন অনুভৱ কৰে। কোনো কোনো শিষ্যই কয় যে তেওঁলোকে চকুৰ আগত এটা উজ্জ্বল পোহৰ দেখা পায় বা কাণেৰে এটা অনাহত শব্দ শুনিবলৈ পায়। কোনো কোনো তিৰোতা-শিষ্যাই বোলে সেই মুহূৰ্তত Orgasm অৰ্থাৎ চৰম যৌন-তৃপ্তিৰ অভিজ্ঞতাও লাভ কৰে।"

এই নতুন ধৰ্মগুৰুসকলৰ বিষয়ে দ্বিতীয় উল্লেখযোগ্য কথা হ'ল তেওঁলোকৰ বেছিভাগেই নিজকে দৈৱ শক্তিৰ অধিকাৰী বুলি দাবী কৰে। মিৰাক্‌ল অৰ্থাৎ অলৌকিক ঘটনা ঘটুৱাই দেখুৱাব পৰা শক্তিয়েই হ'ল তেওঁলোকৰ আকৰ্ষণৰ প্ৰধান উৎস। ধৰ্ম সকলোৰে কাৰণে গ্ৰহণযোগ্য বা প্ৰয়োজনীয় হওক বা নহওক— এই কথা অনস্বীকাৰ্য যে নিষ্কাম কৰুণা, মানব-প্ৰেম আৰু বিশ্ব-বিধানৰ চিৰ-অজ্ঞেয় ৰহস্যৰ সন্মুখত চিৰন্তন বিস্ময়বোধেই সকলো ধৰ্মৰ মহত্তম শিক্ষা। পৃথিৱীৰ সকলো মহৎ ধাৰ্মিকজনেই নিজৰ চৰিত্ৰ

মহিমাৰ দ্বাৰাহে মানুহক আকৃষ্ট কৰি আহিছে— তথাকথিত দৈৱ-শক্তি বা অঘটন-ঘটন-পাটিয়সী শক্তিৰ দ্বাৰা নহয়। অৱশ্যে দ্বিতীয় বিধৰ ধৰ্ম-গুৰুও (!) পৃথিৱীত অনেক ওলাইছে— জাৰৰ যুগৰ ৰাছিয়াৰ কু-খ্যাত ৰাস্পুটিন্ যিসকলৰ ভিতৰত অন্যতম। দুশ্চিন্তাৰ কথা হৈছে এয়ে যে ভাৰতত সম্প্ৰতি আৱিৰ্ভূত হোৱা আৰু স্বয়ং ঈশ্বৰ-ৰূপে পূজিত গুৰুসকলৰ ভিতৰত বেছিভাগৰে ঘাই মূলধন হ'ল তথাকথিত দৈৱ-শক্তি, অৰ্থাৎ মিৰাক্ল সৃষ্টি কৰিব পৰাৰ ক্ষমতা। এইসকলৰ ভিতৰত দুজনে (দাদাজী আৰু আনন্দমূৰ্তি) সম্প্ৰতি ফাটেকত কয়েদীৰ জীৱন যাপন কৰিছে; তৃতীয় এজন (মহাৰাজজী বালযোগীশ্বৰ) নানা অৰ্থনৈতিক অপৰাধৰ অভিযোগত অভিযুক্ত হৈছে।

সকলো ধৰ্ম-গুৰুকে হেয় প্ৰতিপন্ন কৰা বা কাৰো ধৰ্ম-বিশ্বাসত আঘাত কৰাটো এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। প্ৰসংগটো উত্থাপন কৰিব লগা হ'ল এই কাৰণেই যে সাম্প্ৰতিক ভাৰতৰ আটাইতকৈ জন-প্ৰিয় ধৰ্ম-গুৰু সাই বাবাক কেন্দ্ৰ কৰি সম্প্ৰতি এটা ৰাজহুৱা বিতৰ্কৰ সূচনা হৈছে। কোনো কোনো মানুহৰ আলৌকিক শক্তিৰ বিষয়ে মানুহৰ মুখে মুখে যিবোৰ কাহিনী শুনা যায়, বৈজ্ঞানিক পদ্ধতিৰে সেইবোৰৰ সত্যাসত্য নিৰূপণ কৰিবলৈ বাংগালোৰ বিশ্ববিদ্যালয়ে এখন তদন্ত কমিটি গঠন কৰি দিছিল। সেই কমিটিয়ে সাই বাবালৈ এখন চিঠি লিখি কমিটিৰ সমুখত তেওঁৰ অলৌকিক শক্তিৰ প্ৰদৰ্শন কৰিবলৈ অনুৰোধ কৰিছিল। সাই বাবাই সেই চিঠিৰ কোনো উত্তৰ নিদি যোৱা ২ আগষ্টত বাংগালোৰৰ এখন ৰাজহুৱা সভাত ঘোষণা কৰে যে বিশ্ববিদ্যালয়ৰ পৰীক্ষা লোৱাৰ নিচিনাকৈ তেওঁৰ 'ঐশ্বৰিক শক্তি'ৰ পৰীক্ষা ল'বলৈ কাৰো শক্তি বা অধিকাৰ নাই। প্ৰসঙ্গতঃ উল্লেখযোগ্য যে সাই বাবাই কেৱল তেওঁৰ 'সংকল্প' বা 'ইচ্ছাশক্তি'ৰ সহায়েৰে শূন্যৰ পৰাই হাত-ঘড়ী, আঙঠি, 'বিভূতি' আদি সৃষ্টি কৰিব পাৰে বুলি তেওঁৰ ভক্তসকলৰ বিশ্বাস। তেওঁৰ ভক্তসকলো এলা-পেচা নহয়। তেওঁলোকৰ মাজত আছে ডঃ ভগবন্তম, ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা দপ্তৰৰ প্ৰাক্তন বৈজ্ঞানিক উপদেষ্টা ডঃ ভি. কে. গোবা (বাংগালোৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য) আৰু শ্ৰীএন. কষ্টুৰীৰ (বিখ্যাত কানাড়া লেখক) দৰে বিশিষ্ট গুণী-জ্ঞানী মানুহ। কিন্তু এইসকল লোক যিমানেই পণ্ডিত নহওক কিয়, তেওঁলোকৰ 'বিশ্বাসৰ' সমুখত সকলোৰে বৈজ্ঞানিক কৌতূহল চিৰকালৰ কাৰণে নীৰৱ আৰু নতজানু হৈ থাকিব— এনে আশা কৰাটো নিশ্চয় ভুল হ'ব। সাই বাবাক তেওঁৰ ভক্তসকলে কিভাৱে গ্ৰহণ কৰে বা তেওঁৰ বাণীত ভক্তসকলে কি সান্ত্বনা বিচাৰি পায়— সেইবোৰ কথা ইয়াত বিচাৰ্য্য নহয়। একমাত্ৰ বিচাৰ্য্য বিষয় হৈছে— সাই বাবাই সঁচাকৈ শূন্যৰ পৰা আঙঠি আৰু হাত-ঘড়ীৰ নিচিনা বস্তু সৃষ্টি কৰিব পাৰেনে?

বাংগালোৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ নৰসিংহায়াই এই প্ৰসংগতে এটা অতি অৰ্থপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। তেওঁৰ মতে— সাই বাবাই এতিয়ালৈকে যিমানবোৰ বস্তু শূন্যৰ পৰা সৃষ্টি কৰিব পাৰে বুলি ভক্তসকলে দাবী কৰিছে, সেইবোৰ আঙঠি, বিভূতি আৰু হাত-ঘড়ীৰ নিচিনা হাতৰ মুঠিতে লুকুৱাই ৰাখিব পৰা সৰু বস্তু। ডঃ নৰসিংহায়াই দাবী কৰিছে যে সাই বাবাই তেওঁৰ হাতৰ মুঠিতকৈ এটা ডাঙৰ বস্তু (উদাহৰণ স্বৰূপে ৰঙালাও এটাৰ সমান ডাঙৰ বস্তু) তেওঁলোকৰ চকুৰ আগত শূন্যৰ পৰা সৃষ্টি কৰি দেখুওৱাক; তেওঁলোকে সেই মিৰাকলৰ বৈজ্ঞানিকভাৱে পৰীক্ষা কৰিব।

এই মিৰাকল বা অলৌকিক শক্তিটোনো কি? সাধাৰণ অৰ্থত বুজা মতে মিৰাকল বুলিলে আমি চাৰিটা বিভিন্ন প্ৰকাৰৰ ঘটনাক বুজোঁ। প্ৰথমতে প্ৰকৃতিৰ সৰ্বজ্ঞাত নিয়মৰ বিপৰীতে যিবোৰ ঘটনা ঘটে বুলি বিশ্বাস কৰা হয়, সেইবোৰ হ'ল একপ্ৰকাৰৰ মিৰাকল। যদি কোনো এটা বস্তুৰ মৌল ৰাসায়নিক ধৰ্ম সলনি কৰি সম্পূৰ্ণ নতুন এটা বস্তুলৈ ৰূপান্তৰিত কৰা হয়, অথবা শিলৰ মূৰ্তি এটাই যদি কথা কয় বা মুখটো বেঁকা কৰিব পাৰে, তেন্তে সি নিশ্চয় হ'ব এটা মিৰাকল বা অলৌকিক ঘটনা। দ্বিতীয়তে কিছুমান ঘটনা দেখাত প্ৰকৃতিৰ নিয়মৰ বিপৰীত যেন লাগিব পাৰে, কিন্তু আচলতে সি তেনে নহয়। আৰোগ্যপ্ৰবল হৈচাত বা বিশেষ ব্যক্তিৰ মানসিক প্ৰভাৱত হোৱা ৰোগৰ নিৰাময় এই শ্ৰেণীৰ অলৌকিক ঘটনাৰ ভিতৰত পৰে। তৃতীয়তে, অস্বাভাৱিক

পৰিস্থিতিত ঘটা স্বাভাৱিক ঘটনাকো মিৰাকল যেন লাগিব পাৰে। দীঘলীয়া খৰাং বতৰ চলি থকাৰ সময়ত কোনোবাই বৰষুণৰ কাৰণে প্ৰাৰ্থনা কৰিছিল, তাৰ পিচত সঁচাকৈয়ে বৰষুণ আহিল। এনে ঘটনাক বহুতে মিৰাকল বুলি বিশ্বাস কৰিব। চতুৰ্থ বিধৰ মিৰাকল হ'ল— অশৰীৰী কণ্ঠস্বৰ, দৈৱ-বাণী বা প্ৰেতাত্মাৰ আবিৰ্ভাৱ— অৰ্থাৎ "বস্তু-বিশ্বত কোনো প্ৰকাৰৰ অস্তিত্ব নোহোৱা 'বস্তু' বা ঘটনাৰ সংঘটন।" (ভাইকাউণ্ট ছামুৱেল)

সাই বাবাৰ ক্ষেত্ৰত ঘাইকৈ দুটা অলৌকিক শক্তিৰ কথা বহুলভাৱে প্ৰচাৰিত হৈছে। প্ৰথমতে তেওঁ শূন্যৰ পৰাই বস্তু সৃষ্টি কৰিব পাৰে আৰু দ্বিতীয়তে কেৱল হস্ত-স্পৰ্শ বা সংকল্পৰ দ্বাৰাই তেওঁ ৰোগ আৰু আৰোগ্য কৰিবও পাৰে।

যিশুখৃষ্টয়ো অন্ধক দৃষ্টিদান বা কুষ্ঠৰোগীক আৰোগ্য কৰিছিল বুলি কথিত আছে। যদি সেই কথা সঁচাও হয় তেন্তে ওপৰত ভাইকাউণ্ট ছামুৱেলে কোৱা মতে তেনে ঘটনা দেখাতহে প্ৰকৃতিৰ নিয়মৰ বিপৰীত, কিন্তু আচলতে সি তেনে নহয়। দেহৰ ওপৰত মনৰ প্ৰভাৱৰ কথা সৰ্বজন-স্বীকৃত। গতিকে কোনো কোনো বিশেষ 'পৰিস্থিতিত কেৱল মানসিক শক্তিৰ প্ৰভাৱত ৰোগ আৰোগ্য হোৱা একেবাৰে অসম্ভৱ নহয়। কিন্তু কোনোবাই যদি কেতিয়াবা তাকে কৰি নিজকে অলৌকিক শক্তিৰ অধিকাৰী বুলি দাবী কৰিব খোজে, তেন্তে তেওঁ কেৱল এবাৰ-দুবাৰ নহয়, সকলো ক্ষেত্ৰতে সকলো সময়তে কেৱল অলৌকিক শক্তিৰ দ্বাৰাই ৰোগ নিৰাময় কৰিবলৈ সক্ষম হোৱা উচিত। সাই বাবাই নিজকে ভগৱান বুলি দাবী কৰে। লাখ লাখ ভক্তৰ দ্বাৰা তেওঁ ভগৱান-ৰূপে পূজিত। কিন্তু তেওঁ নিজৰ অলৌকিক শক্তিৰ দ্বাৰা লাখ লাখ ৰোগ-জৰ্জৰিত মানুহৰ যন্ত্ৰণা দূৰ কৰিবলৈ চেষ্টা কৰিছেনে? সাই বাবাৰ ভক্তসকলে দাবী কৰে যে তেওঁ অগণন মানুহক নিজৰ অলৌকিক শক্তিৰ দ্বাৰাই ৰোগ-মুক্ত কৰিছে। যদি সেয়ে হয়, তেন্তে তেওঁ পুট্টাপাৰ্ত্তিত চিকিৎসালয় স্থাপন কৰি তাত সাধাৰণ চিকিৎসক নিয়োগ কৰিছে কিয়? ই নিশ্চয় তেওঁৰ ঈশ্বৰত্বৰ প্ৰমাণ নকৰে।

কিন্তু এহো বাহ্য। সাই বাবাৰ সন্মুখত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল তেওঁৰ শূন্যৰ পৰা বস্তু সৃষ্টি কৰিব পৰাৰ অলৌকিক ক্ষমতা। বস্তু-বিশ্বৰ অমোঘ নিয়ম হ'ল এই যে সম্পূৰ্ণ শূন্যতা বা অনস্তিত্বৰ পৰা কেতিয়াও কোনো বস্তুৰ সৃষ্টি হ'ব নোৱাৰে। কোনোবাই যদি কেতিয়াবা তেনে কাম কৰিব পাৰে আৰু বৈজ্ঞানিক পৰীক্ষাৰ দ্বাৰা সি সন্দেহাতীতভাৱে সত্য বুলি প্ৰমাণিত হয়, তেন্তে বিশ্ব-বিধান সম্পৰ্কে মানুহৰ সমস্ত ধাৰণাই সম্পূৰ্ণভাৱে সলনি হৈ যাব। পাইথাগোৰাছে কৈছিল যে তেওঁ যদি শূন্যত থিয় হ'ব পাৰে, তেন্তে এডাল দীঘল এডাল কল-মাৰিৰ সহায়তেই তেওঁ গ্ৰহ-নক্ষত্ৰবোৰ কক্ষ-চ্যুত কৰি দিব পাৰিব। ইয়াৰ দ্বাৰা তেওঁ এই কথাকে বুজাব খুজিছিল যে প্ৰকৃতিৰ অমোঘ নিয়মৰ চুলি এডালমানো হেৰ-ফেৰ হ'বলৈ কোনো উপায় নাই। সাই বাবাই যদি সঁচাকৈয়ে শূন্যৰ পৰা হাতঘড়ী বা আঙঠি সৃষ্টি কৰিব পাৰে, তেন্তে তেওঁ পাইথাগোৰাছৰ কল্পনাকো বাস্তৱত পৰিণত কৰিব পৰা উচিত; অৰ্থাৎ তেওঁ যি অলৌকিক শক্তিৰ দ্বাৰাই বিশ্ব-বিধানৰ অমোঘ, অপৰিবৰ্তনীয় আৰু চিৰন্তন নিয়মৰ বিৰুদ্ধে গৈ শূন্যৰ পৰা নানা বস্তু সৃষ্টি কৰিছে, সেই একে শক্তিৰ দ্বাৰাই তেওঁ ভূমিকম্প আৰু বান-পানী প্ৰতিৰোধ কৰিব পৰা উচিত, আৰু মহাশূন্যৰ বুকুত থিয় হৈ গ্ৰহ-নক্ষত্ৰক কক্ষ-চ্যুত নকৰিলেও কৰিব পাৰোঁ বুলি দাবী কৰা উচিত।

ঐশ্বৰিক শক্তি দাবী কৰা সাই বাবাই বৈজ্ঞানিক পৰীক্ষাৰ সন্মুখীন হ'বলৈ অস্বীকাৰ কৰাৰ আৰু কোনো যুক্তি নেদেখোঁ। ই আজি কেৱল তেওঁৰ ব্যক্তিগত দাবী বা তেওঁৰ ভক্তসকলৰ বিশ্বাসৰ প্ৰশ্ন হৈ থকা নাই। তেওঁৰ এই অঘটন-ঘটন-পটিয়সী শক্তিৰ দাবী গ্ৰীকসকলৰ দিনৰ পৰা আজিলৈকে মানুহে আঢ়ৈ হাজাৰ বছৰৰ বৈজ্ঞানিক সত্য-আৱিষ্কাৰ আৰু প্ৰতিভাৰ প্ৰতি এটা স্পৰ্ধিত প্ৰত্যাহ্বান হৈ থিয় দিছে। যদি তেওঁ সঁচা হয়, তেন্তে মানুহে যোৱা আঢ়ৈ হাজাৰ বছৰ ধৰি কঠোৰতম জ্ঞান-চৰ্চাৰ দ্বাৰা তিল তিলকৈ আহৰণ কৰা বৈজ্ঞানিক জ্ঞান সম্ভাৰ সমূলি মিছা আৰু অৰ্থহীন। আৰু তেওঁ যদি মিছা হয়... the bluff must be called.

অল্ড টেষ্টামেণ্টৰ বুক অব এজেকাইৰ সপ্তম অধ্যায়ত এটা কাহিনী বৰ্ণিত আছে। "আৰণে দৈৱ-আজ্ঞা

পালন কৰি ফাৰাওৰ সম্মুখত লাঠিডাল পেলাই দিলে আৰু মুহূৰ্ততে সি এটা সাপ হৈ গ'ল।" চেচিল বদ্য মিলৰ কথাছবিত বহুতেই নিশ্চয় এই দৃশ্য দেখিছে। অজ্ঞ আৰু অন্ধ-বিশ্বাসীৰ বাহিৰে আন কোনেও এই ৰূপক-কাহিনীবোৰ আক্ষৰিক অৰ্থত বিশ্বাস নকৰে। সাই বাবা আৰু তেওঁক শিষ্যসকলে এতিয়া বাইবেল বা প্ৰাচীন হিন্দু পুৰাণৰ ৰূপক-কাহিনীৰ নিচিনা নতুন কাহিনীৰ সৃষ্টি কৰি বিংশ শতাব্দীৰ মানুহক সেইবোৰত বিশ্বাস কৰিবলৈ আহ্বান কৰিছে।

আমি সাই বাবাৰ চৰিত্ৰ-মহিমা বা পৰহিতৈষণাক শ্ৰদ্ধা কৰিব পাৰোঁ, কিন্তু বৈজ্ঞানিক পৰীক্ষাৰ দ্বাৰা সন্দেহাতীতভাৱে সত্য বুলি প্ৰমাণিত নোহোৱালৈকে তেওঁৰ তথাকথিত অলৌকিক শক্তি বা মিৰাক্‌ল্‌ত কেতিয়াও বিশ্বা নকৰোঁ। কিন্তু সেই বুলি পৃথিৱীত সঁচাকৈয়ে মিৰাক্‌ল্ নঘটেনে? নিশ্চয় ঘটে। মাত্ৰ সৌ সিদিনা মানৱ-বিহীন মহাকাশযান ভাইকিং- ১ মঙ্গল গ্ৰহত অৱতৰণ কৰিলেগৈ। আন এখন মহাকাশযান জুপিটাৰে এতিয়াও মহাকাশৰ দূৰতম দিগন্তৰ উদ্দেশ্যে গৈয়েই আছে। আমাৰ পৃথিৱী বিশ্বজগতৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ এটি গ্ৰহ; সেই গ্ৰহৰ পিঠিত বহি অনু-পৰিমাণ এই মানুহ নামৰ জীৱটোৱে কোটি কোটি আলোক-বৰ্ষৰ দূৰৰ মহাকাশ চলাথ কৰিছে,— ইয়াতকৈ ডাঙৰ মিৰাক্‌ল্ আন কিবা আছেনে? ঠিক এই মুহূৰ্ততে পৃথিৱীৰ শ শ গৱেষণাগাৰত জেনেটিকছ বা প্ৰজনন তত্ত্বৰ বিষয়ে এনে কেতবোৰ অবিশ্বাস্য গৱেষণা হ'ব ধৰিছে, যাৰ ফলত মানুহে প্ৰাণ-সৃষ্টিৰ প্ৰক্ৰিয়াতো হস্তক্ষেপ কৰাৰ শক্তি অৰ্জন কৰিব আৰু নিজৰ ইচ্ছানুসাৰে নতুন নতুন জীৱ আৰু শস্য সৃষ্টি কৰিব পাৰিব। পৃথিৱীৰ শ শ গৱেষণাগাৰত কৃষি-বিজ্ঞানীসকলে আজি অধিক ফচল দিয়া বিবিধ বিচিত্ৰ শস্যৰ বীজ উদ্ভাৱন কৰিছে— যাৰ অবিহনে পৃথিৱীৰ কোটি কোটি মানুহ ইতিমধ্যেই খাবলৈ নাপাই মৰিলেহেঁতেন। হাজাৰ হাজাৰ বছৰ ধৰি যিবোৰ কালান্তক ৰোগৰ বীজাণুৰ হাতত মানুহ পৰাজিত হৈ আহিছিল আৰু ৰোগ-যন্ত্ৰণাৰ ওচৰত অসহায়ভাৱে আত্ম-সমৰ্পণ কৰি আহিছিল, কোনো 'বাবা'ৰ মন্ত্ৰ-প্ৰভাৱত সেইবোৰ ৰোগে এটা এটাকৈ পৃথিৱীৰ পৰা বিদায় লোৱা নাই; মানুহৰ পৰম শত্ৰু সেই ৰোগ পৰাজিত হৈছে বিজ্ঞানীৰ গৱেষণাগাৰত। ইয়াতকৈ ডাঙৰ মিৰাক্‌ল্ আন কিবা আছেনে? যিবোৰ মানুহে এই মিৰাক্‌ল্ সম্ভৱ কৰি তুলিছে, তেওঁলোকহে হাজাৰ বাৰ নমস্য। নৱ-জাগৰণৰ উজ্জ্বল প্ৰভাতত ইউৰোপে এই মানুহক আবিষ্কাৰ কৰিছিল— What a piece of work is a man! How noble in reason! How infinite in faculty! in form, in moving, how express and admirable! in action, how like an angel! in apprehension, how like a god! the beauty of the world! the paragon of animals! (Hamlet) এই বিজ্ঞান-বুদ্ধি আৰু যুক্তিবাদৰ সহায়েৰেই পাশ্চাত্য জগতে সমগ্ৰ পৃথিৱী জয় কৰি এতিয়া গ্ৰহ-গ্ৰহান্তৰ জয় কৰিবলৈ আগবাঢ়িছে। নানাবিধ জাগতিক সমস্যাৰে সন্মুখীন হৈ মানুহে বিজ্ঞান আৰু যুক্তিৰ দ্বাৰস্থ হ'বনে অন্ধবিশ্বাস আৰু তন্ত্ৰ-মন্ত্ৰৰ আশ্ৰয় ল'ব, সেইটোৱেই হ'ল মৌল প্ৰশ্ন। ভাৰতে দ্বিতীয়টোৰ আশ্ৰয় লৈছিল, সেই কাৰণে এই দেশ বহু শতাব্দী পিছুৱাই থাকিল। এতিয়া এই দেশত বৈজ্ঞানিক দৃষ্টিভংগী আৰু যুক্তিবাদৰ উন্মেষ হৈছে মাত্ৰ; এনে সময়তে যদি পালে পালে অলৌকিক শক্তি-সম্পন্ন 'বাবা'ৰ আবিৰ্ভাৱ হৈ ভাৰতৰ মাটিত নতুনকৈ জন্ম লোৱা বিজ্ঞান-চেতনা আৰু যুক্তিবাদৰ ভ্ৰূণ-হত্যা কৰে, তেন্তে মানুহৰ বিৰুদ্ধে তাতোকৈ ডাঙৰ পাপ আন একো নহ'ব। ধৰ্মই মানুহৰ চেতনাক নতুন আয়তন দিয়ক, অভীপ্সাক নতুন মহত্ত্ব দিয়ক, তাত একো আপত্তি নাই। কিন্তু ধৰ্মৰ নামত যেন ধৰ্মৰ ব্যৱসায়ে বহু শতাব্দীৰ কু-সংস্কাৰ আৰু অন্ধ-বিশ্বাসৰ পিতনিৰ পৰা মূৰ ডাঙি থিয় হ'ব খোজা ভাৰতৰ মানুহক পুনৰ সেই পিতনিলৈ ঠেলি নিদিয়ে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখাটো প্ৰত্যেক যুক্তিবাদী আৰু শুভ-বুদ্ধিসম্পন্ন মানুহৰ অৱশ্য-কৰ্তব্য।

সাপ্তাহিক নীলাচল, ৩৯৬ সংখ্যা : ১৫ চেপ্তেম্বৰ, ১৯৭৬ চন

মাও ছে-টুঙ

১৯৪৯ চনৰ পহিলা অক্টোবৰত মাও ছে-টুঙে যেতিয়া কমিউনিষ্ট পতাকা উত্তোলন কৰি চীন গণৰাজ্যৰ প্ৰতিষ্ঠা ঘোষণা কৰে, সমবেত লাখ লাখ নেতাই সমস্বৰে চিঞৰি উঠিছিল— "মাও ছে-টুঙ মান ছুই" (মাও ছে-টুঙ দহ হাজাৰ বছৰ জীয়াই থাকক)।

আজিৰ পৰা দহ হাজাৰ বছৰৰ পিচত মানুহৰ ইতিহাসে কি ৰূপ ল'ব বা মাও ছে-টুঙক মানুহে কি ভাবে স্মৰণ কৰিব, সেই কথা কোৱা অসম্ভৱ। কিন্তু এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে যোৱা দুই হাজৰ বছৰৰ ভিতৰত এইজন ক্ষণজন্মা পুৰুষে মানব জাতিৰ ইতিহাসত গভীৰতম প্ৰভাৱ পেলাইছে, সেইসকলৰ ভিতৰত মাও ছে-টুঙ অন্যতম। সমাজ আৰু ব্যক্তিৰ পুনৰ্নিৰ্মাণৰ ক্ষেত্ৰত তেওঁ যি বৈপ্লৱিক পৰীক্ষাৰ সূচনা কৰি গ'ল, ইতিহাসত তাৰ বেছি তুলনা নাই। কালক্ৰমত হয়তো তেওঁৰ বহুতো শিক্ষাই পৰিত্যক্ত হ'ব, তেওঁৰ বহুতো কথাই ভুল বুলি প্ৰামাণিত হ'ব আৰু সেইটো হোৱাটোৱেই স্বাভাৱিক। মাও ছে-টুঙে নিজেই এবাৰ কৈছিল যে শেষান্তৰত গৈ সদায় মানুহেই জয় হয়। মানুহৰ অগ্ৰগতিক বোধ কৰিবলৈ কোনো আদৰ্শ, অনুষ্ঠান বা মহাপুৰুষৰ সাধ্য নাই। মানুহে বাৰম্বাৰ নিজকে অতিক্ৰম কৰে সেইখিনিয়েই মানুহৰ মহত্ব। মানুহৰ এই 'লং-মাৰ্চ' বা দীঘলীয়া যাত্ৰা আমাৰ যুগত মাও ছে-টুঙে যি নেতৃত্ব দি গ'ল, সি ইতিহাসৰ এক স্মৰণীয় অধ্যায় হৈ থাকিব।

মাও ছে-টুঙে পৃথিৱীৰ এটা প্ৰাচীনতম সভ্যতাক সম্পূৰ্ণ নতুন সাঁচত ঢালিলে। আশী কোটি ক্ষুধাৰ্ত দাৰিদ্ৰ্য-পীড়িত মানুহৰ দেশক এটা নতুন সমাজ ব্যৱস্থাৰ যোগেদি তেওঁ নতুন জীৱন দিলে। মাত্ৰ পঁচিশ বছৰৰ ভিতৰতে তেওঁ দৰিদ্ৰ, অনুন্নত চীনদেশক বিশ্বৰ অন্যতম মহাশক্তিত পৰিণত কৰি নেপোলিয়নৰ ভৱিষ্যদ্বাণী সফল কৰি তুলিলে আৰু বিংশ শতাব্দীৰ ইতিহাসৰ ধাৰা সলনি কৰি দিলে। ইউৰোপৰ মাটিত ওপজা মাৰ্ক্সবাদ-লেনিনবাদক তেওঁ এচিয়াৰ চাৰিত্ৰিক বৈশিষ্ট্য দান কৰি এটা সৃষ্টিশীল ৰাজনৈতিক দৰ্শন সৃষ্টি কৰিলে। এই সকলো কামৰ মাজেদি তেওঁৰ জীৱন আৰু কৰ্ম-সাধনাৰ যি মহাকাব্যিক আয়তন ফুটি উঠিছে, তাৰ তুলনা ইতিহাসত বিৰল।

মাওৰ মৃত্যুৰ পিছত চীন দেশত কি কি পৰিবৰ্তনে দেখা দিয়ে, সেই কথা জানিবলৈ সময় লাগিব। চৌ এন লাইয়ে কৈছিল যে ১৯৪৯ চনত চীনৰ দ্বিতীয়টো 'লং মাৰ্চ' বা দীঘলীয়া যাত্ৰা আৰম্ভ হৈছে। মাওৰ মৃত্যুৰ লগে লগেই নিশ্চয় সেই যাত্ৰাৰ অন্ত নপৰে। চীনৰ আভ্যন্তৰীণ ক্ষেত্ৰত বিয়েই নঘটক কিয়, ই এটা শুভ-লক্ষণ যে পোন্ধৰ বছৰৰ বিৰতিৰ পিছত মাও ছে-টুঙৰ জীৱন-কালতেই ভাৰতৰ লগত চীনৰ সদ্ভাৱৰ সূচনা হৈছিল। এই সদ্ভাৱ গাঢ়তৰ হ'লে সি কেৱল চীন আৰু ভাৰত নহয়, সমগ্ৰ বিশ্বৰ কাৰণেই মঙ্গলৰ কথা হ'ব। এই প্ৰসংগতে লেনিনে তেওঁৰ মৃত্যু-সজ্যাত কৰা এবাৰ উক্তি সুঁৱৰিব পাৰি। লেনিনে কৈছিল— "আমাৰ সংগ্ৰামৰ কৃত-কাৰ্যতা চূড়ান্ত বিচাৰত বিটো কথাই নিৰ্ণয় কৰিব, সেইটো হ'ল এই যে পৃথিৱীৰ সংখ্যা-গৰিষ্ঠ লোক বাস কৰে ৰাছিয়া, চীন আৰু ভাৰতবৰ্ষত।"

মাও কেৱল বিপ্লৱী বা ৰাষ্ট্ৰনেতা নাছিল; তেওঁ আছিল এজন কবি, দাৰ্শনিক আৰু স্বপ্ন-দ্ৰষ্টা। মানুহৰ অতীত আৰু ভৱিষ্যতৰ ৰূপ তেওঁৰ দৃষ্টিত ফুটি উঠিছিল এনে ধৰণে—

উত্তৰ ফালে কেৱল দেখা যায়
হাজাৰ লি-ৰ ঘন বৰফৰ বিস্তাৰ,
আৰু হাজাৰ লি-ৰ উন্মত্ত তুষাৰ-ধুমুহা।
চোৱা, মহাপ্ৰাচীৰৰ দুয়োফালেই
পৰি আছে কেৱল বিৰাট প্ৰলয়ৰ বিস্তাৰ।
পীত নদীৰ উজনিত বা ভাটিত
ক'তো অকণো পানীৰ সোঁতৰ আভাস নাই।
দূৰৰ পৰ্বতবোৰ যেন নাচি থকা
ৰূপালী সাপৰ দল,
সমতলৰ পৰ্বতবোৰ যেন জ্বলমলীয়া হাতীৰ পাল।
মই বিচাৰোঁ আকাশেৰে মানুহৰ উচ্চতা জুখিবলৈ।

দিনবোৰ যেতিয়া নিৰ্মল হৈ থাকে
পৃথিৱীৰ কি অপৰূপ লাৱণ্য,
যেন বগা কাপোৰ পিন্ধা এজনী ৰূপহী গাভৰু।
এই নদী আৰু পৰ্বতৰ ৰূপো তেনেকুৱাই অপৰূপ—
যাক পাবৰ কাৰণে পণ কৰিছিল অসংখ্য বীৰে।

সম্ৰাট ছি হুৱাং আৰ উ তি—
    তেওঁলোকৰ নাছিল কোনো সংস্কৃতি,
সম্ৰাট তাই জুং আৰু তাই জু—
    তেওঁলোকৰ নাছিল কোনো অনুভূতি,
ছেংগিছে জানিছিল কেৱল ঈগলৰ ফালে
    ধনু টোঁৱাবলৈ।
এওঁলোকৰ সকলোৰে দিন শেষ হৈছে,
এতিয়া দিন আহিছে হৃদয়বান পুৰুষৰ।

নৱম বছৰৰ দুৱাৰ-দলিত

এই সংখ্যা কাকতৰ লগে লগে সাপ্তাহিক নীলাচলে অষ্টম বছৰ অতিক্ৰম কৰি নৱম বছৰত ভৰি দিব। কাকতখনৰ জন্মদিন বা বয়সটো বিশেষ স্মৰণীয় কথা বুলি আমি নেভাবোঁ। কিন্তু দেশৰ পৰিবৰ্তিত মানসিক বাতাবৰণত আত্মসমালোচনাৰ প্ৰয়োজন প্ৰবলভাবে অনুভূত হৈছে। ব্যবসায় কৰাৰ উদ্দেশ্যেৰে সাপ্তাহিক নীলাচল আৰম্ভ কৰা হোৱা নাছিল। এই কাকতৰ প্ৰধান লক্ষ্য আছিল দুটা— ৰাইজৰ অভাৱ-অভিযোগ চৰকাৰৰ দৃষ্টিগোচৰ কৰা আৰু ৰাজ্যখনত মুক্ত আৰু মৌলিক চিন্তা-চৰ্চাৰ বাতাবৰণ সৃষ্টি কৰা। এই কামত আমি কিমান দূৰ কৃতকাৰ্য্যতা লাভ কৰিছোঁ, তাৰ বিচাৰ ৰাইজে কৰিব। কিন্তু, ৰাইজে যদি ভাবে বা আমিও যদি অনুভৱ কৰোঁ যে যিকোনো কাৰণতেই নহওক কিয় আমি নিজৰ কৰ্তব্য যথাযথভাৱে পালন কৰিব পৰা নাই, তেতিয়া হ'লে কাকতখন বন্ধ কৰি দিবলৈ আমি মুহূৰ্তৰ কাৰণেও দ্বিধাবোধ নকৰিম। যিহেতু ব্যবসায় কৰাটো সাপ্তাহিক নীলাচলৰ উদ্দেশ্য নহয়, গতিকে ৰাইজৰ সেৱাত লাগিব পৰাটোৱেই কাকতখনৰ অস্তিত্বৰ একমাত্ৰ সাৰ্থকতা। আমাৰ নিজৰ অযোগ্যতা বা বাহিৰৰ পৰা অহা কিবা বাধাৰ কাৰণে যদি নীলাচলে নিজৰ কৰ্তব্য পালন কৰিবলৈ অক্ষম হয়, তেন্তে এই কাকতৰ জীয়াই থাকিবলৈ কোনো অধিকাৰ নাই।

কিছুমান কাকতৰ সঁচাকৈয়ে জীয়াই থকাৰ কোনো অধিকাৰ নাই। এডগাৰ লি মাষ্টাৰছে তেওঁৰ অমৰ 'স্পুন ৰিভাৰ এন্থলজী' নামৰ কাব্য গ্ৰন্থত হুৱেডেন নামৰ এজন সম্পাদকৰ চিত্ৰ আঁকিছে। উক্ত সম্পাদকজনৰ নিজৰ মুখেদিয়েই তেওঁ কোৱাইছে— 'সম্পাদক' কাক কয়? "যি প্ৰতিটো প্ৰশ্নৰ প্ৰতি দিশ চাব পাৰে; যি সুবিধা বুজি সকলোৱে পক্ষ ল'ব পাৰে, সকলো ৰূপ ধৰিব পাৰে, মুহূৰ্তে মুহূৰ্তে ৰূপ সলাব পাৰে; স্বাৰ্থসিদ্ধিৰ কাৰণে যি সত্যক বিকৃত কৰিব পাৰে; মানুহৰ মহৎ আবেগ-অনুভূতি যি নিজ উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰে; গ্ৰীক অভিনেতাসকলৰ দৰে যি মুখা পিন্ধি নিজৰ আঠ পৃষ্ঠাৰ কাকতৰ পিচফালে কুঁচি-মুচি বহি বৰ বৰ আখৰৰ মেগাফোনত ঘোষণা কৰিব পাৰে— 'চোৱা, মই এজন অতিকায় দৈত্য'; তাকে কৈ যি চোৰৰ জীৱন-যাপন কৰে আৰু বেনামী শব্দৰ হলাহল বিষেৰে নিজৰ জীৱ-পলৰীয়া আত্মাক কলুষিত কৰে; টকাৰ লোভত অন্যায়-অনাচাৰক বোকা সানি গোপন কৰে আৰু সময়ত আনৰ ওপৰত প্ৰতিশোধ ল'বলৈ বা কাকতৰ বিক্ৰী বঢ়াবলৈ সেই অন্যায়-অত্যাচাৰকে পুনৰ খান্দি উলিয়ায়; নিজৰ জীৱনৰ বাহিৰে যি আন কাৰো জীৱন ৰক্ষা নকৰে আৰু নিৰ্মমভাৱে আনৰ সুনাম বা জীৱন ধ্বংস কৰে;..... তেনেকুৱা এজন সম্পাদক আছিলোঁ মই।"

প্ৰত্যেক সম্পাদকেই মাজে মাজে একোবাৰ থমকি ৰৈ নিজকে সুধি চোৱা উচিত— "ময়ো ঠিক তেনেকুৱাই সম্পাদকনে?"

এডগাৰ লি মাষ্টাৰছৰ লগতে আৰু এজন কবিৰ কথা আজি আমাৰ মনলৈ আহিছে। মহেন্দ্ৰনাথ ডেকাফুকন, যাৰ মূৰত আছিল এটা ধুমুহা আৰু হৃদয়ত আছিল এটা সূৰ্য্য— মৃত্যুৰ আগৰ তিনিটা বছৰত তেওঁ একাধিকবাৰ আমাৰ কাৰ্য্যালয়লৈ আহিছিল। ধুমুহাৰ দৰে আহি ধুমুহাৰ দৰে তেওঁ গুলাই গৈছিল, কিন্তু আমাৰ কাৰণে ৰাখি গৈছিল একোৰাৰ অযাচিত আশিস-বচন। ১৯৭১ চনৰ চেপ্তেম্বৰ মাহত তেওঁ তেনেকৈ এদিন আহি আমাক এটা কবিতা দিছিল— নীলাচলত প্ৰকাশ কৰিবৰ কাৰণে। কিন্তু কবিতাটিত আমাৰ প্ৰতি তেওঁ মাত্ৰাধিক স্নেহ ফুটি উঠা যেন দেখি সেইটো প্ৰকাশ কৰিবলৈ আমি সংকোচবোধ কৰিলোঁ আৰু

ইমান দিনে প্ৰকাশ নকৰি সাঁচি থৈছিলোঁ। কিন্তু আজি এক ভীষণ আত্মদ্বন্দ্বৰ মুহূৰ্তত নিজৰ মনতে বল পাবলৈ সেই কবিতাটি— অসমৰ চাৰণ কবি মহেন্দ্ৰনাথ ডেকাফুকনৰ পবিত্ৰ আশীৰ্বচন— প্ৰকাশ কৰাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ। উদ্দেশ্য আত্মপ্ৰচাৰ নহয়; একমাত্ৰ উদ্দেশ্য যাতে আমাৰ ওচৰত কবিৰ সেই গভীৰ বিশ্বাসৰ আমি যোগ্য হৈ উঠিব পাৰোঁ— তাৰ কাৰণে নতুনকৈ সংকল্প গ্ৰহণ কৰা।

হোমাগ্নি

(মৰমৰ শ্ৰীমান হোমেন বৰগোহাঞিদেৱৰ শ্ৰীকৰকমলত)

সুপত্ৰিকা অসমৰ লোৱা ধন্যবাদ
সাহিত্যৰ সুপ্ত-সত্তা জাগ্ৰত কৰিলা,
শোষকীৰ ভাণ্ডাকীৰ ভজন নাগাই
জনতাৰ হকে তীব্ৰ লেখনি ধৰিলা।।— ১
জাতিৰ কল্যাণ চিন্তা মহাব্ৰত লৈ
যশাকাংক্ষা অৰ্থলোভ থলা কাতি কৈ
ৰাজকীয় কটাক্ষক ভ্ৰূক্ষেপ নকৰি
কৰি আছা জনসেবা স্থিত-প্ৰজ্ঞ হৈ।— ২
এনে আন্ধাৰত তুমি ধৰিলা লেখনি
ভাবাকাশ দীপ্ত কৰি তুলিলা বিপ্লৱ,
শুই থাকা শিলে পুনু উঠি থিয় হ'ল
উঠিল দিগন্ত জুৰি ত্ৰাহি ত্ৰাহি ৰৱ।— ৯
জাতিৰ ভাবৰ ক্ষেত্ৰ বাকৰি আছিল
তাতে তুমি শিৱবলে কৰিলা কৰ্ষণ,
সিঁচিলা চিন্তাৰ বীজ নানা তৰহৰ
ওলাল গজালি দিব্য, দেখি তৃপ্ত মন।— ১৫
চলোৱা চলোৱা বন্ধু লেখনি শ্ৰেষ্ঠৰ
'বুলডজাৰে' ধ্বংস কৰা বিষ-বৃক্ষবোৰ,
য'ত আছে ভণ্ড নেতা শঠ প্ৰবঞ্চক
লেখনিৰে খাল খান্দি দিয়া 'জিন্দা' গোৰ।— ১৬
লেখনিত আছে বজ্ৰ অস্ত্ৰবলজয়ী
লেখনিত ৰুদ্ৰবাণী বিৰাজে সদাই,
লেখনিৰে বুকে বুকে হোমাগ্নি জ্বলাই
শৰাইঘটীয়া মন্ত্ৰ দিয়া উদ্গাই।— ১৭

মহেন্দ্ৰ ডেকাফুকন
নগাঁও
৬-৯-১৯৭১

সাপ্তাহিক নীলাচল, ৩৯১ সংখ্যা : ১৩ অক্টোবৰ, ১৯৭৬ চন

বৈজ্ঞানিক দৃষ্টিভংগী

ভাৰতৰ বৰ্তমান সংবিধানত নাগৰিকৰ কেতবোৰ মৌলিক অধিকাৰৰ কথা উল্লেখ আছে। কিন্তু সংবিধানৰ প্ৰস্তাবিত সংশোধনত দহটা মৌলিক কৰ্তব্য নিৰ্দিষ্ট কৰি দিবলৈ বিচৰা হৈছে। কথাটো সম্পূৰ্ণ নতুন বা মৌলিক নহয়। সমাজবাদী দেশবোৰৰ বাহিৰেও জাপান আৰু নেদাৰলেণ্ডৰ নিচিনা কেইখনমান দেশৰ সংবিধানত নাগৰিকৰ কাৰণে মৌলিক কৰ্তব্যও নিৰ্দিষ্ট কৰি দিয়া আছে। সেইবোৰৰ ভিতৰত দেশ ৰক্ষাৰ কাৰণে সামৰিক সেৱাত যোগ দিয়াটোৱে প্ৰধান। কিন্তু ভাৰতীয় সংবিধানৰ প্ৰস্তাৱিক মৌলিক কৰ্তব্যৰ ধাৰাটোৱে বিশেষ নতুনত্ব বা মৌলিকত্বৰ দাবী কৰিব পাৰে। ভাৰতীয় সংবিধানত যি দহটা মৌলিক কৰ্তব্য সন্নিবিষ্ট কৰিবলৈ বিচৰা হৈছে, সেইবোৰৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল এইটোৱে যে দেশৰ প্ৰতিজন নাকৰিকেই বৈজ্ঞানিক দৃষ্টিভংগী বা গ্ৰহণ বা আয়ত্ব কৰিবলৈ চেষ্টা কৰিব লাগিব। ভাৰতীয় সমাজৰ আধুনিকীকৰণৰ প্ৰচেষ্টা ই নিসন্দেহে এটা বৈপ্লৱিক পদক্ষেপ।

বৈজ্ঞানিক দৃষ্টিভংগী বুলিলে আমি কি বুজোঁ? কিছুদিনৰ আগতে এখন বহুল প্ৰচাৰিত ইংৰাজী কাকতত এখন চিঠি প্ৰকাশ পাইছিল। পত্ৰলেখকজনে লিখিছে— "প্ৰস্তাবিত সংশোধনত বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰাৰ কথা কোৱা হৈছে কিন্তু দুৰ্ভাগ্যৰ কথা যে বৈজ্ঞানিক দৃষ্টিভংগীৰ সংজ্ঞা নিৰূপণ কৰি দিয়া হোৱা নাই। যিখন দেশৰ পাৰ্লিয়ামেণ্টৰ সদস্যসকলকে ধৰি শিক্ষিত শ্ৰেণীৰ লোকসকলেও [illegible] জীৱিত সন্তসকলৰ লৌকিক শক্তিত বিশ্বাস কৰে, আৰু জ্যোতিষীৰ পৰামৰ্শ লৈহে নিজৰ কৰ্তব্য স্থিৰ কৰে, সেইখন দেশত বৈজ্ঞানিক দৃষ্টিভংগী স্পষ্টভাৱে ব্যাখ্যা কৰি দিয়াৰ প্ৰয়োজন আছে। মই পৰামৰ্শ দিওঁ যে বিলখনৰ দ্বিতীয় পাঠ আলোচনা কৰাৰ সময়ত চৰকাৰে এনে এটা ব্যাখ্যা সম্বলিত সংশোধনী যোগ দিয়া উচিত : 'এই উপবন্ধটোৰ উদ্দেশ্য কাৰ্য্যকৰী কৰিবলৈ হ'লে অলৌকিক কাৰ্য্য-কলাপ আৰু অন্ধবিশ্বাসক বৈজ্ঞানিক দৃষ্টিভংগীৰ পৰিপন্থী বুলি গণ্য কৰা উচিত হ'ব।'

এইটো এটা সঁচাকৈয়ে ভাব চাব লগীয়া কথা। বৈজ্ঞানিক দৃষ্টিভংগী আধুনিক শিক্ষা প্ৰসাৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। এই প্ৰসংগত এই কথা স্মৰ্তব্য যে বেকন আৰু গেলিলিওৰ জন্মৰ আগতেই যি চাৰিটা প্ৰধান আৱিষ্কাৰে বহু শতাব্দীৰ অপৰিবৰ্তনীয় প্ৰাচীন সমাজৰ অচলায়তন ধূলিস্যাৎ কৰি আধুনিক বৈজ্ঞানিক সভ্যতাৰ প্ৰথম সূচনা কৰিছিল, সেই কেইটাৰ ভিতৰত অন্যতম এটা আছিল, মুদ্ৰণ যন্ত্ৰ বা ছপাশালৰ আৱিষ্কাৰ। মুদ্ৰণ যন্ত্ৰই সাৰ্বজনিন শিক্ষাৰ প্ৰসাৰ সম্ভৱ কৰি তোলাৰ পিচতহে আধুনিক গণতন্ত্ৰৰ প্ৰতিষ্ঠা আৰু জাতি গঠন সম্ভৱ হ'ল আৰু ঔদ্যোগিক সভ্যতাৰ ভিত্তি স্থাপন সম্ভৱ হ'ল। গতিকে শিক্ষাৰ দ্ৰুত বিস্তাৰ-অবিহনে বৈজ্ঞানিক দৃষ্টিভংগীৰ উন্মেষ হ'ব বুলি কেতিয়াও আশা কৰিব নোৱাৰি। যিখন দেশত উচ্চতম শিক্ষা-প্ৰাপ্ত লোকসকলেও পৰম্পৰাৰ বাহিৰতো কু-সংস্কাৰ আৰু অবৈজ্ঞানিক দৃষ্টিভংগীক পৰিহাৰ কৰিব পৰা নাই, সেইখন দেশৰ শতকৰা ৭০ জন নিৰক্ষৰ লোকে সংবিধান নিৰ্দিষ্ট বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰয়োগক অৱশ্যে পালনীয় মৌলিক কৰ্তব্য হিচাবে পালন কৰিব বুলি কেতিয়াও আশা কৰিব নোৱাৰি। গতিকে এই কথাও চাব লাগিব যে কেৱল সংবিধানত বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশক নাগৰিকৰ মৌলিক কৰ্তব্য বুলি ধৰি দিলেই

নহ'ব; সেই কৰ্তব্য পালনৰ কাৰণে নাগৰিকসকলক আধুনিক শিক্ষাৰ দ্ৰুত বিস্তাৰৰ দ্বাৰা উপযুক্ত কৰি তুলিব লাগিব। অৰ্থাৎ এইক্ষেত্ৰত নাগৰিকৰ প্ৰতি ৰাষ্ট্ৰৰ মৌলিক কৰ্তব্যহে আগঠাই পাব লাগিব।

বৈজ্ঞানিক দৃষ্টিভংগী কি— সেই বিষয়েও জনসাধাৰণক অবহিত কৰি তোলাটো একান্ত প্ৰয়োজন। বৈজ্ঞানিক দৃষ্টিভংগী কেৱল বিজ্ঞান অৰ্থাৎ বিশ্ব-প্ৰকৃতিৰ ৰহস্যৰ প্ৰতি মানুহৰ দৃষ্টিভংগীৰ মাজতে সীমাৱদ্ধ নহয়। মানুহ, মানুহৰ সামাজিক সংগঠন, জড়-জগত— এই সকলো কথাকে বৈজ্ঞানিক দৃষ্টিভংগীয়ে সামৰি লয়। ভাৰতৰ সংবিধানে যেতিয়া চেকুলৰিজম বা ধৰ্ম নিৰপেক্ষতাক (ধৰ্ম নিৰপেক্ষতাই চেকুলাৰিজমৰ প্ৰকৃত অৰ্থ প্ৰকাশ নকৰে; আন কথাত ক'বলৈ গ'লে চেকুলাৰিজমৰ কোনো ভাৰতীয় প্ৰতিশব্দ নাই) ৰাষ্ট্ৰীয় আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল, সেইটো নিজহে আছিল সামাজিক ক্ষেত্ৰত বৈজ্ঞানিক দৃষ্টিভংগীৰ এটা অতি তাৎপৰ্যপূৰ্ণ সূচনা। ৰাষ্ট্ৰ-পৰিচালনাক চাৰ্চ বা সংগঠিত ধৰ্মৰ কবলৰ পৰা মুকতি কৰিবলৈ ইউৰোপে প্ৰায় ডেৰ হাজাৰ বছৰ ধৰি সংগ্ৰাম কৰিব লগা হৈছিল। বিশেষভাৱে উল্লেখযোগ্য কথা যে এহ সংগ্ৰামত আগভাগ লৈছিল বিজ্ঞানীসকলে। এই চেষ্টা ফলৱতী হোৱাত পৰোক্ষভাৱে সহায় কৰিলে মাৰ্টিন লুথাৰৰ সংস্কাৰবাদী আন্দোলনে। তেওঁ ধৰ্মক যুক্তিৰ পৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰি তাক চৰ্তহীন বিশুদ্ধ বিশ্বাসৰ বিষয়ত পৰিণত কৰিলে, আৰু তাকে কৰি আওপকীয়াকৈ ধৰ্ম আৰু বিজ্ঞানৰ মাজত সংঘৰ্ষৰ অন্ত পেলালে। দ্বিতীয়তে তেওঁ ঈশ্বৰ আৰু প্ৰত্যেক ব্যক্তিৰ সম্পৰ্ক পোনপটীয়া বুলি ঘোষণা কৰি যাজক শ্ৰেণীৰ দালালী বাতিল কৰি দিলে। ফলস্বৰূপে সৰ্বসাধাৰণ মানুহৰ মনত এই প্ৰত্যয় জন্মিল যে ধৰ্মীয় বিষয়বোৰ যদি যাজক শ্ৰেণীৰ হস্তক্ষেপ নোহোৱাকৈ সমাজে নিজেই পৰিচালনা কৰিব পাৰে, তেন্তে ৰাজনৈতিক বিষয়বোৰো সমাজে নিজেই পৰিচালনা কৰিব পাৰে, সেইবোৰত চাৰ্চক মূৰ সোমোৱাবলৈ দিয়াৰ কোনো প্ৰয়োজন নাই। তদুপৰি প্ৰটেষ্টাণ্ট আৰু কেথলিকসকলৰ মাজত ত্ৰিশ বছৰ ধৰি চলা ৰক্তাক্ত যুদ্ধই ইউৰোপৰ মানুহক এনেভাৱে অতিষ্ঠ কৰি তুলিলে যে অৱশেষত তেওঁলোকে এনে কেতবোৰ মৌলিক নীতিৰ সন্ধান কৰিবলৈ বাধ্য হ'ল— যিবোৰ নীতিত সমাজৰ সকলো মানুহেই ব্যক্তিগত ধৰ্মবিশ্বাস-নিৰ্বিশেষে একমত হ'ব পাৰে। এনেভাৱেই বিশেষকৈ প্ৰটেষ্টান দেশবোৰত ৰাষ্ট্ৰ ক্ৰমে ক্ৰমে চাৰ্চৰ কবলৰ পৰা মুক্ত হ'ল, অৰ্থাৎ চেকুলাৰিজম বা ধৰ্ম-নিৰপেক্ষতাৰ আদৰ্শ প্ৰবৰ্তিত হ'ল গণতন্ত্ৰৰ দৰেই চেকুলাৰিজমো এটা ইউৰোপীয় আদৰ্শ, আৰু এই দুয়োটা আদৰ্শকে ভাৰতে ইউৰোপৰ পৰা গ্ৰহণ কৰিছে।

বস্তু জগতৰ প্ৰতি মানুহৰ বৈজ্ঞানিক দৃষ্টিভংগীৰ ইতিহাস অতি প্ৰাচীন, কিন্তু বহু হাজাৰ বছৰ ধৰি সি কেঁচুৱাৰ দৰে বগুৱা বাই বাই বা মাজে মাজে কোঙা হৈ যোৱা তিনিশ বছৰতহে দ্ৰুতগতিৰে পূৰঠ ৰূপ লাভ কৰিছে। আদিম মানুহে নিজৰ মানসিক জীৱন আৰু প্ৰকৃতিৰ বস্তু-পুঞ্জৰ স্বতন্ত্ৰ সত্তাৰ মাজত পাৰ্থক্য উপলব্ধি কৰিব পৰা নাছিল। তেওঁলোকে ভাবিছিল যে নিজৰ মনৰ ইচ্ছা-শক্তিৰেই তেওঁলোকে প্ৰকৃতিৰ শক্তি-পুঞ্জক বশীভূত কৰিব পাৰে বা কামত খটুৱাব পাৰে। ইয়েই আছিল আদিম মানুহৰ 'মেজিক' বা 'মন্ত্ৰ-তন্ত্ৰৰ' মূল কথা— আমাৰ সমাজৰ পৰা আজিও যি সম্পূৰ্ণৰূপে বিলুপ্ত হোৱা নাই। মানুহৰ মনত বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰথম সূচনা তেতিয়াই হ'ল— যেতিয়াই তেওঁলোকে অস্পষ্টভাৱে হ'লেও উপলব্ধি কৰিবলৈ আৰম্ভ কৰিলে যে মন্ত্ৰ বা যাদু-বিদ্যাৰ সহায় নোলোৱাকৈয়ো কাৰিকৰী উপায়েৰে প্ৰকৃতিৰ শক্তি-পুঞ্জৰ মাজত পৰিবৰ্তন সংঘটিত কৰিব পাৰি। প্ৰাচীন মিচৰ, বেবিলন, ভাৰত আৰু চীনত মানুহৰ এই শিশুসুলভ বৈজ্ঞানিক দৃষ্টিভংগীয়েই জ্যোতিৰ্বিজ্ঞানৰ জন্ম দিছিল। এই ক্ষেত্ৰত মহত্তম অৱদান আগবঢ়াইছিল প্ৰাচীন গ্ৰীকসকলে। তেওঁলোকেই ইতিহাসত প্ৰথমবাৰৰ কাৰণে বিশ্বজগতৰ নিয়ামক-শক্তি স্বৰূপে দৈৱ-শক্তিৰ

কল্পনা নকৰাকৈ প্ৰত্যক্ষ পৰ্যবেক্ষণ আৰু বিশ্লেষণৰ দ্বাৰা বিশ্ব-প্ৰকৃতিৰ ৰহস্য বুজিবলৈ চেষ্টা কৰিছিল। কিন্তু গ্ৰীকসকলৰ বৈজ্ঞানিক অনুসন্ধিৎসাৰ মূল লক্ষ্য আছিল বিশ্ব-জগতৰ বিষয়ে এটা সামগ্ৰিক ধাৰণা বা জ্ঞান আহৰণ কৰা— প্ৰকৃতিৰ শক্তি-পুঞ্জক জয় বা বশীভূত কৰি তাক মানুহৰ কামত খটুৱাটো নহয়। ফলত তেওঁলোকৰ বৈজ্ঞানিক অনুসন্ধিৎসা পিছলৈ গৈ অধিবিদ্যাৰ নিষ্ফল কল্পতত পৰিণত হ'ল। অৱশ্যে তেওঁলোকে মানুহৰ মনৰ মাটিত বৈজ্ঞানিক অনুসন্ধিৎসাৰ যি বীজ ৰোপণ কৰিছিল সি সম্পূৰ্ণ অথলে নগ'ল, পিছৰ যুগৰ কাৰণে সি সঞ্চিত হৈ ৰ'ল।

প্ৰাচ্যৰ অদৃষ্টবাদ আৰু অধিবিদ্যাৰ অন্ধ গলিত বাট বিচাৰি উৱাদিহ নাপাই বৈজ্ঞানিক দৃষ্টিভংগী কোন কাহানিতেই নিৰুদ্দেশ হৈ গ'ল। গ্ৰীচৰ জ্ঞান-ভাণ্ডাৰ গ্ৰীক সভ্যতাৰ ধ্বংস-স্তূপৰ তলত পোত খাই থাকিল। ইউৰোপে খৃষ্টিয়ানিটি গ্ৰহণ কৰিলে, কিন্তু খৃষ্টিয়ান চাৰ্চে প্ৰায় এহাজাৰ বছৰ ধৰি মানুহৰ বৈজ্ঞানিক অনুসন্ধিৎসাক এনেভাৱে দমন কৰি ৰাখিলে যে ধৰ্ম-শাস্ত্ৰই বিশ্ব-প্ৰাকৃতিৰ বিষয়ে দিয়া যুক্তি-প্ৰমাণহীন অতি-প্ৰাকৃতিক ব্যাখ্যাত সামান্য সন্দেহ প্ৰকাশ কৰা মাত্ৰকতে মানুহক জীয়াই জীয়াই পুৰি মৰা হ'ল। গিয়ৰ্ডনো ব্ৰুনো আছিল বিজ্ঞানৰ এনে এজন শ্বহীদ। কিন্তু ইউৰোপৰ 'ধৰ্ম-যুদ্ধ'ৰে ধৰ্মৰ জয়প্ৰতিপন্ন নকৰিলেও মানুহৰ অপৰাজেয় আত্মা আৰু জ্ঞানান্বেষণৰ চিৰন্তন স্পৃহাক পুনৰ সঞ্জীৱিত কৰি তুলিলে। খৃষ্টিয় ত্ৰয়োদশ শতিকাত এৰিষ্টটল আৰু অন্যান্য গ্ৰীক দাৰ্শনিকসকলৰ ৰচনাৰ আৰবী আৰু হিব্ৰু অনুবাদে ইউৰোপীয় মনক প্ৰবলভাৱে জোকাৰণি দিলে। ধৰ্ম-শাস্ত্ৰ আৰু ডগ্‌মাই বিশ্ব-প্ৰকৃতিৰ যি প্ৰশ্নাতীত অতি-প্ৰাকৃতিক ব্যাখ্যা দিছিল, তাত সন্তুষ্ট নাথাকি নৱ-জাগৰণৰ যুগৰ মহান মানৱতন্ত্ৰী আৰু বিজ্ঞানীসকলে পৰ্যবেক্ষণ আৰু পৰীক্ষাৰ দ্বাৰা বিশ্ব-প্ৰকৃতিৰ ৰহস্য অনুসন্ধান কৰিবলৈ আৰম্ভ কৰিলে। লগে লগে আৰম্ভ হ'ল বিজ্ঞান আৰু ধৰ্মৰ সংঘৰ্ষ। কিন্তু নতুন বৈজ্ঞানিক চিন্তাৰ যি ঢল আৰম্ভ হ'ল, তাক বেছিদিন বান্ধি ৰখা সম্ভৱ নহ'ল। "মানৱ-মনৰ নতুন জাগৰণ আৰম্ভ কৰিলে ৰোজাৰ বেকনে (মৃত্যুঃ ১২৯৪); অসীম প্ৰতিভাৰ অধিকাৰী লিয়নাৰ্ডো ডা ভিঞ্চিয়ে তাক আৰু বেছি বিকশিত কৰি তুলিলে ([illegible]-১৫১৯); কোপাৰ্নিকাছ (১৪৭৩-১৫৮৩) আৰু গেলিলিঅ'ৰ (১৫৬৪-১৬৪২) জ্যোতিৰ্বিজ্ঞানৰ আৱিষ্কাৰবোৰত তাৰ পৰিপূৰ্ণতা দেখা গ'ল; গিলবাৰ্টৰ (১৫৪৪-১৬০৩) চুম্বক আৰু তড়িৎ শক্তিৰ গৱেষণাই, ভেছালিয়াছৰ (১৫১৪-১৫৬৪), শৰীৰতত্ত্বৰ গৱেষণাই আৰু হাৰ্ভেৰ (১৫৭৮-১৬৫৭) ৰক্ত-সঞ্চালনৰ গৱেষণাই বিজ্ঞানৰ জয়-যাত্ৰা আৰম্ভ কৰিলে। জ্ঞান যিমানেই বাঢ়িল, ভয় সিমানেই কমিল; প্ৰকৃতিৰ অজ্ঞাত-শক্তিক পূজা কৰাৰ পৰিবৰ্তে মানুহে তাক জয় কৰিবলৈ চেষ্টা কৰিলে।" (উইল ডুৰাণ্ট)। ইয়াৰ পিছৰ পৰাই আৰম্ভ হ'ল যোৱা তিনিশ বছৰৰ বৌদ্ধিক স্বাধীনতাৰ সংগ্ৰাম— যি সংগ্ৰামৰ নেতৃত্ব গ্ৰহণ কৰিলে বেকন, গেলিলিঅ' আৰু ডেকাৰ্টেই। মানৱ সভ্যতাৰ ইতিহাসত বৈজ্ঞানিক যুগৰ আৰম্ভ হ'ল আৰু তাৰ প্ৰৱক্তা স্বৰূপে বেকনে ঘোষণা কৰিলে— Knowledge is power- 'জ্ঞানেই হ'ল শক্তি।' তেওঁ ঘোষণা কৰিলে— "জ্ঞান কেৱল মানুহে মনতে পোষণ কৰিবলগা এটা অভিমত নহয়, ই হ'ল কৰিবলগীয়া এটা কাম। মই কোনো মতবাদ বা ধৰ্মীয় সম্প্ৰদায় প্ৰতিষ্ঠাৰ কাৰণে কাম কৰা নাই; মই কাম কৰিছোঁ শক্তি আৰু তাৰ প্ৰয়োগৰ ভিত্তি স্থাপনৰ কাৰণে।" উইল ডুৰাণ্টৰ ভাষাত— "ইয়েই হ'ল ইতিহাসত প্ৰথমবাৰৰ কাৰণে আধুনিক বিজ্ঞানৰ মৰ্ম-বাণী।"

গ্ৰীকসকলৰ বিজ্ঞানৰ লগত আধুনিক বিজ্ঞানৰ মৌলিক পাৰ্থক্য এইখিনিতেই যে গ্ৰীকসকলে বিজ্ঞান-লব্ধ জ্ঞানৰ যোগেদি কেৱল এটা সামগ্ৰিক বিশ্ব-বীক্ষা লাভ কৰিবলৈ চেষ্টা কৰিছিল, বিজ্ঞানৰ সহায়েৰে প্ৰকৃতিৰ শক্তিসমূহক জয় কৰি তাক মানুহৰ সেৱাত লগোৱাৰ ধাৰণাটোক তেওঁলোকে অতি হীন চকুৰে

চাইছিল। গ্ৰীকসকলৰ এনে মনোভাব আৰু তাৰ ফলত গ্ৰীক বিজ্ঞানৰ অগ্ৰগতি বন্ধ হৈ যোৱাৰ কাৰণ বিশ্লেষণ কৰি জেমছ্ হাৰ্ভে ৰবিন্‌ছনে লিখিছে— "প্ৰথম কথা হ'ল, গ্ৰীক সভ্যতাৰ ঘাই ভেটি আছিল দাসত্বপ্ৰথা আৰু ঔদ্যোগিক কলা-কৌশলৰ অচলায়তন ব্যৱস্থা। দাস আৰু গৃহ-ভৃত্যৰ দৈনন্দিন কাম-কাজৰ লগত জড়িত সকলোধৰণৰ সমস্যাৰ পৰা গ্ৰীক দাৰ্শনিক আৰু পণ্ডিতসকলে নিজকে সযতনে দূৰত ৰাখিছিল। ফলত তেওঁলোকৰ মাজত জীৱনৰ ব্যৱহাৰিক প্ৰয়োজনত লগা নানা বিধ সঁজুলি আৱিষ্কাৰ কৰা মানুহ কোনো নাছিল। অথচ এইবোৰৰ অবিহনে প্ৰকৃতিৰ ক্ৰিয়া-কাণ্ড বা গোপন ৰহস্যৰ বিষয়ে গভীৰ আৰু ক্ৰমবৰ্দ্ধমান জ্ঞান আহৰণ কৰা কেতিয়াও সম্ভৱ নহয়। গ্ৰীকসকলৰ কাৰিকৰী আৱিষ্কাৰ-প্ৰতিভা আছিল নিচেই নগণ্য, ফলত লেন্‌ছ তেওঁলোকৰ কাৰণে হৈ থাকিল অনধিগম্য। চকুৰে মনিব নোৱাৰা ক্ষুদ্ৰ বস্তু চাবলৈ তেওঁলোকৰ অণুবীক্ষণ যন্ত্ৰ নাছিল, দূৰৰ বস্তু চাবলৈ নাছিল দূৰবীক্ষণ যন্ত্ৰ। কেমেৰা আৰু স্পেকট্ৰস্ক'পছ দূৰৰ কথা, তেওঁলোকে যান্ত্ৰিক ঘড়ী, থাৰ্মোমিটাৰ আৰু বেৰ'মিটাৰো আৱিষ্কাৰ কৰিব নোৱাৰিলে। ফলত দাসত্বৰ অবলুপ্তি আৰু প্ৰাচীন অধিবিদ্যা বাতিল নোহোৱালৈকে মানৱ মনৰ সম্প্ৰসাৰণৰ কাৰণে পিছৰটো ডাঙৰ পদক্ষেপ ল'বলৈ মানুহে আৰু বহুকাল অপেক্ষা কৰিব লগা হ'ল। বিজ্ঞানৰ এই দ্বিতীয়টো যুগৰ সূচনা হ'ল মাত্ৰ তিনিশ বছৰৰ আগতে।"

গ্ৰীকসকলৰ এই বৈজ্ঞানিক দৃষ্টিভংগীৰ বিপৰীতে আধুনিক বিজ্ঞানৰ প্ৰথম মুখ্য-প্ৰবক্তা বেকনে ঘোষণা কৰিলে যে মানুহে প্ৰকৃতিৰ ৰাজ্যত অভিযান চলাব লাগিব for his delight and profit, মানুহৰ 'আনন্দ আৰু সুবিধা অৰ্জনৰ' কাৰণে। তেওঁ ঘোষণা কৰিলে যে প্ৰকৃতিৰ সামান্যতম বস্তুবোৰৰ বিষয়েও মানুহে অধ্যয়ন কৰিব লাগিব আৰু সেই অধ্যয়নলব্ধ জ্ঞান মানুহৰ সেৱাত প্ৰয়োগ কৰি পৃথিৱীত মানুহৰ অৱস্থা উন্নত কৰিব লাগিব। অৰ্থাৎ প্ৰকৃতিৰ ৰহস্য জনাটোৱেই বিজ্ঞানৰ একমাত্ৰ উদ্দেশ্য হ'ব নালাগিব, তাৰ আন এটা প্ৰধান উদ্দেশ্য হ'ব লাগিব প্ৰকৃতিৰ অন্তৰ্নিহিত ৰহস্যক আয়ত্ত কৰি তাৰ ওপৰত মানুহৰ প্ৰভুত্ব বিস্তাৰ কৰা; প্ৰকৃতিৰ শক্তিসমূহক মানুহৰ সেৱকত পৰিণত কৰা। এই উদ্দেশ্যে মানুহে কেৱল মহৎ আৰু গম্ভীৰ বিষয়বোৰৰ বিষয়ে দাৰ্শনিক অনুধ্যান কৰাতে ক্ষান্ত নাথাকি নৰ্দমাৰ পোক আৰু পানীৰ বিষয়েও বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা কৰিব লাগিব।... বেকন নিৰ্দেশিত এই পথ অনুসৰণ কৰি আধুনিক বিজ্ঞানে মাত্ৰ যোৱা তিনিশ বছৰৰ ভিতৰত মানুহৰ পৰিৱেশ, জীৱন-যাত্ৰা আৰু আনকি জীৱনৰ উদ্দেশ্যতো কি বৈপ্লৱীক পৰিৱৰ্তন সাধন কৰিছে, সি আজি আধুনিক জগতৰ প্ৰতিজন মানুহৰেই ব্যক্তিগত অভিজ্ঞতাৰ বিষয়।

গতিকে আধুনিক বৈজ্ঞানিক দৃষ্টিভংগী বুলিলে আমি কি বুজোঁ, তাক এতিয়া সংক্ষেপে ক'ব পাৰি। ডেকাৰ্টেই কৈছিল যে আমি যদি সত্যৰ অন্বেষণ কৰিব খোজোঁ, তেন্তে আমি জীৱনত অন্ততঃ এবাৰৰ কাৰণে হ'লেও প্ৰতিটো কথাৰ সত্যতা বা অভ্ৰান্ততা সম্পৰ্কে প্ৰশ্ন কৰিব পাৰিব লাগিব। অৰ্থাৎ বিশ্বাস নহয়, সন্দেহেই হ'ল জ্ঞানাৰ্জনৰ প্ৰথম সোপান, আৰু সিয়েই হ'ল আধুনিক বিজ্ঞানৰ প্ৰথম সূচনা। অতএব চিৰন্তন প্ৰশ্নশীলতা বৈজ্ঞানিক দৃষ্টিভংগীৰ এটা প্ৰধান চৰ্ত। কিন্তু এই প্ৰশ্নশীলতা কেৱল বস্তু-বিশ্ব বা প্ৰকৃতিৰ ৰহস্যৰ ক্ষেত্ৰত সীমাবদ্ধ নহয়— ধৰ্ম, ৰাজনীতি, অৰ্থনীতি, দৰ্শন, সমাজ-বিজ্ঞান আদি সকলো ক্ষেত্ৰতে সি সমানে প্ৰযোজ্য।

দ্বিতীয়তে, বিশ্বজগতৰ অন্তৰালত থকা মূল বাস্তৱতা বা সৎ-বস্তুৰ অনুসন্ধান বিজ্ঞানৰ লক্ষ্য নহয়; কেৱল প্ৰতিভাসিত বা পৰিদৃশ্যমান জগতৰ ৰহস্য-সন্ধানতেই বৈজ্ঞানিক অনুসন্ধিৎসা সীমাবদ্ধ।

তৃতীয়তে, প্ৰকৃতিৰ শক্তিসমূহক জয় কৰি তাক মানুহৰ জীৱন উন্নততৰ আৰু সুন্দৰতৰ কৰাৰ কাৰণে প্ৰয়োগ কৰাটোৱেই হ'ল বিজ্ঞানৰ অন্যতম প্ৰধান লক্ষ্য।

সৰ্বশেষত, বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰধান লক্ষ্য হ'ল সঠিক জ্ঞানানুশীলন বা বিজ্ঞানক ধৰ্ম আৰু অধিবিদ্যাৰ অবাঞ্ছিত হস্তক্ষেপৰ পৰা মুক্ত ৰখা আৰু কেৱল 'পৰ্যবেক্ষণ, অভিজ্ঞতা আৰু যুক্তিকেই' সত্যৰ সন্ধানৰ একমাত্ৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰা।

এইখিনিতেই এটা কথা মনত ৰখা উচিত যে বিজ্ঞানৰ ওপৰত অন্ধবিশ্বাসো কিন্তু বৈজ্ঞানিক দৃষ্টিভংগীৰ পৰিপন্থী। বিজ্ঞান মানুহৰ সৰ্বস্ব নহয়, ই মানুহৰ বিভিন্ন আৰু বিচিত্ৰ সাধনাৰ এটা অংশ মাত্ৰ। বিজ্ঞানে আমাৰ আধ্যাত্মিক জীৱনৰ সমস্ত প্ৰয়োজন কেতিয়াও পূৰ্ণ কৰিব নোৱাৰে। সৰ্বকালৰ এজন সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী আইনষ্টাইনে নিজেই কৈ গৈছে— "To know that what is impenetrable to us really exists, menifesting itself as the highest wisdom and the most radiant beauty which our dull faculties can comprehend only in their most primitive forms– this knowledge, this feelings is at the centre of true religiousness." তেওঁ আৰু কৈছে— "The cosmic religious experience is the most strongest and noblest .... inspiring of scientific reaserch." গতিকে বৈজ্ঞানিক দৃষ্টিভঙ্গী বুলিলে আমি কেতিয়াবা সৰ্বপ্ৰকাৰ ৰহস্যানুভূতি-ৰহিত আৰু বিশুদ্ধ আৰু যান্ত্ৰিক দৃষ্টিভঙ্গীৰ কথা বুজিব নালাগে। মহত্তম অৰ্থত দৃষ্টিভঙ্গী হ'ল এটা চিৰ-সৃষ্টিশীল, চিৰ আশাবাদী, ভবিষ্যতমুখী দৃষ্টিভঙ্গী আৰু এই দৃষ্টিভঙ্গীয়ে বিশ্ব বিধানত মানুহক এক প্ৰোজ্জ্বল মৰ্যাদাৰ আসনত অধিষ্ঠিত কৰে।

বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ ব্যাখ্যা কৰি এখন মহাভাৰত লিখিব পাৰি বা লিখা হৈছেও। কিন্তু আমাৰ সীমিত পৰিসৰত আৰু দুটা কথাৰ উল্লেখ বোধহয় প্ৰাসঙ্গিক হ'ব। দুয়োটা কথাই বাৰ্ট্ৰাণ্ড ৰাছেলৰ। তেওঁ কৈছে— "বিজ্ঞান মানুহৰ নৈতিক গুণাৱলীৰ বিকল্প নহয়। এটা সৎ জীৱন যাপনৰ কাৰণে মানুহৰ হৃদয়খনো মূৰটোৰ সমানেই প্ৰয়োজনীয়।

ৰাছেলৰ দ্বিতীয়াবাৰ কথা বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ বিকাশৰ কাৰণে আৰু অধিক অন্তৰ্হীনভাৱে তাৎপৰ্য্যপূৰ্ণ। ৰাছেলে তেওঁৰ Wisdom of the west গ্ৰন্থৰ সামৰণি মাৰি লিখিছে— "মানুহে কাম কৰিব লাগিব, লগতে চিন্তাও কৰিব লাগিব। কিন্তু অন্ততঃ এটা কথা প্ৰত্যেক মানুহেই কৰিব পাৰে। সেইটো হৈছে এই যে— যিবোৰ বিষয়ে তেওঁ নিজে কোনো প্ৰশ্ন কৰিব নোখোজে, সেইবোৰ বিষয়ত আনক নিজৰ অভিমত সাময়িকভাৱে স্থগিত ৰাখিবলৈ তেওঁ আনক স্বাধীনতা দিব লাগিব। ইয়াৰ পৰা প্ৰমাণ হয় যে নিৰাৱক্ত বা নিঃস্বাৰ্থ সত্যানুসন্ধানৰ লগত স্বাধীনতাৰ সম্পৰ্ক অবিচ্ছেদ্যভাৱে জড়িত, আৰু ই হ'ল জীৱনৰ আন এটা মঙ্গলময় শক্তি। সমাজৰ সত্যৰ সন্ধান যদি অব্যাহত গতিৰে চলিব লাগে, তেন্তে তাৰ প্ৰধান পূৰ্বচৰ্ত হ'ল সহিষ্ণুতা। কথা কোৱা আৰু চিন্তা কৰাৰ স্বাধীনতাই হে এখন মুক্ত সমাজ সৃষ্টি কৰিব পাৰে আৰু তেনে সমাজতহে সত্যই এজন সত্য-সন্ধানীক য'লৈকে লৈ যাব খোজে ত'লৈকে তেওঁ গৈ থাকিব পাৰে। ইয়াৰ অৰ্থ এইটো নহয় যে আমি সকলোৱে সকলো বিষয়তে একমত হ'ম। কিন্তু ই অন্ততঃ এটা কথা সুনিশ্চিত কৰে যে কৃত্ৰিম বাধা-নিষেধৰ দ্বাৰা কোনো পথকেই বন্ধ কৰি দিয়া নহয়। মানুহৰ কাৰণে অ-পৰীক্ষিত জীৱন প্ৰকৃততে জীয়াই থাকিবলৈ যোগ্য নহয়।"

জৱাহৰ নগৰত উৎসৱমুখৰ পৰিৱেশ

প্ৰদৰ্শনী উদ্বোধন কৰাৰ লগে লগে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিৱেশনৰ স্থল জৱাহৰনগৰৰ পৰিৱেশ উৎসৱমুখৰ আৰু কৰ্মমুখৰ হৈ উঠিছে। অহা বিশ তাৰিখে অধিৱেশনত গ্ৰহণ কৰিবলগীয়া প্ৰস্তাৱসমূহ চূড়ান্তভাৱে বিবেচনাৰ বাবে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বৈঠক বহিব।

ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ প্ৰদেশ কংগ্ৰেছ কমিটিৰ যুটীয়া আতিথ্য গ্ৰহণ কৰি জৱাহৰনগৰত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ এই অধিৱেশন কেবাফালৰ পৰাও গুৰুত্বপূৰ্ণ। এই অধিৱেশনৰ লগতে ভাৰতীয় যুৱক কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অভিৱৰ্তন, আন্তঃৰাষ্ট্ৰীয় যুৱ সমাৰোহ, উত্তৰ পূৰ্বাঞ্চলৰ মহিলা সন্মিলন আৰু ভাৰতৰ ৰাষ্ট্ৰীয় ছাত্ৰ সংঘৰো সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলন আৰু অভিৱৰ্তন কেইখন ভাৰতৰ বিভিন্ন অঞ্চলৰ প্ৰতিনিধি আৰু দৰ্শকে যোগদান কৰাৰ উপৰিও কিছু সংখ্যক বিদেশৰ প্ৰতিনিধিয়েও যোগদান কৰাৰ কথা। অধিৱেশন উপলক্ষ্যে ২৩ নৱেম্বৰত এক শ্ৰমিক সমাৰোহৰো ব্যৱস্থা কৰা হৈছে।

*　　　　*

এই অধিৱেশনৰ বাবে প্ৰস্তাৱৰ খচৰা প্ৰস্তুত কৰিবৰ উদ্দেশ্যে কংগ্ৰেছ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাই ইতিপূৰ্বে গঠন কৰি দিয়া কমিটিয়ে যোৱা ১২ নৱেম্বৰত বহা বৈঠকত প্ৰস্তাৱ সম্পৰ্কে প্ৰাৰম্ভিক আলোচনা কৰে। কংগ্ৰেছ সভাপতি আৰু প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীৰ উপৰিও এই কমিটিৰ সদস্য হৈছে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্ৰীৱাই. বি. চৱন, বিত্তমন্ত্ৰী শ্ৰীসুব্ৰামণিয়ম আৰু তেলমন্ত্ৰী শ্ৰীকে. ডি. মালব্য।

কমিটিয়ে প্ৰস্তুত কৰা প্ৰস্তাৱ তিনিটাৰ এটাত হৈছে, দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতি সংক্ৰান্ত, এটা হৈছে কলম্বোত বহা গোষ্ঠী নিৰপেক্ষ শীৰ্ষ সন্মিলনৰ প্ৰতি গুৰুত্ব সহকাৰে আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি সংক্ৰান্ত আৰু আনটো অলপতে সংসদে অনুমোদন জনোৱা সাংবিধানিক সংশোধন সম্পৰ্কীয়। এই তিনিওটা প্ৰস্তাৱৰ খচৰা জৱাহৰ নগৰত বহিবলগীয়া ৱৰ্কিং কমিটিয়ে চূড়ান্তভাৱে অনুমোদন কৰাৰ পিছতহে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিৱেশনত উত্থাপন কৰা হ'ব। এই প্ৰস্তাৱ কেইটাৰ সন্দৰ্ভত অধিৱেশনত সজীৱ বিতৰ্কৰ সৃষ্টি হ'ব বুলি আশা কৰা গৈছে।

*　　　　*

অধিৱেশনৰ লগতে আয়োজন কৰা আনকেইখন অভিৱৰ্তন আৰু সন্মিলনৰ এক অন্যতম আকৰ্ষণ হ'ব শ্ৰীসঞ্জয় গান্ধী। প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীৰ কুৰিদফীয়া অৰ্থনৈতিক কাৰ্যসূচীৰ লগত শ্ৰীসঞ্জয় গান্ধীয়ে আৰু পাঁচ দফা যোগ দিছে আৰু এই পঁচিশদফীয়া কাৰ্যসূচীয়ে আজি দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু

সামাজিক ক্ষেত্ৰত নতুন বাতাবৰণ সৃষ্টি কৰিছে। জৱাহৰ নগৰৰ অধিৱেশনত অৰ্থনৈতিক পৰিস্থিতি সম্পৰ্কীয় আলোচনা প্ৰসঙ্গত এই কুৰিদফীয়া আৰু পাঁচদফীয়া কাৰ্য্যসূচীয়ে বিশেষ প্ৰধান্য লাভ কৰাটো নিশ্চিত।

*   *

নিঃ ভাঃ কংঃ কমিটিৰ জৱাহৰ নগৰৰ অধিৱেশনৰ অভ্যৰ্থনা কমিটিৰ সভাপতি শ্ৰীহোকিছে ছেমাই সিদিনাখন সাংবাদিকৰ আগত কৈছে যে নাগালেণ্ডৰ পৰিস্থিতি বৰ্তমান শান্তিপূৰ্ণ আৰু স্বাভাৱিক। কুৰিদফীয়া অৰ্থনৈতিক কাৰ্যসূচী ক্ষীপ্ৰ আৰু সফল ৰূপায়ণৰ বাবে জনসাধাৰণ প্ৰশাসনৰ লগত সক্ৰিয়ভাৱে যোগ দিছে। শ্ৰীছেমাই নাগালেণ্ডৰ এজন প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু নাগালেণ্ড কংগ্ৰেছৰ সভাপতি।

আগামী মন্ত্ৰী সভাৰ সময়ত বিত্ত মন্ত্ৰী থকা সময়ৰ পৰা শ্ৰীছেমাৰ প্ৰভাৱ নাগালেণ্ডৰ ৰাজনীতিত যথেষ্টভাৱে আছে। আত্মগোপনকাৰীসকলৰ আত্ম-প্ৰকাশ আৰু অস্ত্ৰ-শস্ত্ৰ চৰকাৰৰ ওচৰত সমৰ্পণ কৰাৰ ক্ষেত্ৰতো ছেমাৰ অবদান কম নহয়। সম্প্ৰতি তেওঁ নগালেণ্ডত কংগ্ৰেছ অনুষ্ঠান গঢ়ি তুলিবৰ বাবে বিশেষভাৱে চেষ্টা চলাইছে আৰু তেওঁৰ গতিশীল সক্ৰিয় প্ৰচেষ্টাৰ ফলত নাগালেণ্ডত সোনকালে কংগ্ৰেছৰ শক্তিশালী শাখা এটা প্ৰতিষ্ঠা হ'ব বুলি আশা কৰা গৈছে।

উত্তৰ-পূৰ্বাঞ্চল আঞ্চলিক উন্নয়নৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ কাৰণে কেন্দ্ৰীয় কৰ্তৃপক্ষই এশ কোটি টকা ধাৰ্য্য কৰিছে। এই অঞ্চলৰ ৰাজ্যকেইখন আৰু কেন্দ্ৰীয় শাসিত অঞ্চলকেইটাৰ নিজ নিজ উন্নয়ন আঁচনিৰ সুকীয়া পৰিকল্পনাৰ ব্যয়ৰ ওপৰঞ্চি হিচাবে উত্তৰ-পূব পৰিষদে গ্ৰহণ কৰা আঁচনিৰ বাবে এই ধন ব্যয় কৰা হ'ব। এই আঁচনিৰ বাবে পৰিষদে বৰ্তমানৰ বিত্ত বছৰত যোল্ল কোটি পঞ্চাশ লাখ টকা ধাৰ্য্য কৰিছে।

মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই যোৱা বৃহস্পতিবাৰে খানাপাৰাত গাখীৰ, কণী, মুৰ্গী আদি সুলভ মূল্যত যোগান ধৰা কেন্দ্ৰ এটা উদ্বোধনী কৰে। ৰাজ্য চৰকাৰৰ মিন পাম বিভাগৰ উদ্যোগত এই কেন্দ্ৰটি প্ৰতিষ্ঠা কৰা হৈছে। জৱাহৰ নগৰত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিৱেশন উপলক্ষ্যে এই সামগ্ৰীৰ চাহিদা বৃদ্ধি হোৱালে লক্ষ্য ৰাখি এই কেন্দ্ৰটো মুকলি কৰা হৈছে।

সাপ্তাহিক নীলাচল, ৪০৩ সংখ্যা : ১০ নবেম্বৰ, ১৯৭৬ চন

পুৰস্কাৰ

সাহিত্যিকক পুৰস্কৃত কৰাৰ উদ্দেশ্য মহৎ। পুৰস্কাৰৰ অৰ্থমূল্য অৰ্থহীন, তাৰ প্ৰতীকী মূল্য অৰ্থাৎ একোজন লেখকৰ আধ্যাত্মিক সাধনাৰ প্ৰতি সমাজৰ স্বীকৃতি আৰু শ্ৰদ্ধাই তাৰ একমাত্ৰ চিৰস্থায়ী মূল্য। সন্দেহাতীত সৎ উদ্দেশ্য থাকিলেও সকলো সময়তে যে বিচাৰকসকলৰ সিদ্ধান্ত নিৰ্ভুল বা সৰ্বজনগ্ৰাহ্য হ'ব, এনে আশা কৰাও সম্ভৱ নহয়। কিন্তু উদ্দেশ্য সৎ আৰু চেষ্টা আন্তৰিক হোৱা উচিত, এই কথা সকলোৱে আশা কৰে। পুৰস্কাৰ প্ৰদানৰ ক্ষেত্ৰত যদি ৰাজনীতি, বন্ধু-প্ৰীতি আৰু স্বজন-প্ৰীতিৰ অনুপ্ৰৱেশ ঘটে, তেন্তে সাহিত্যিক পুৰস্কাৰে তাৰ সকলো মূল্য হেৰুৱাই পেলায়।

বাংলা সাহিত্য ভাৰতৰ আটাইতকৈ চহকী সাহিত্য। অন্যান্য বহুতো ভাৰতীয় ভাষাৰ শ্ৰেষ্ঠতম কিতাপখনতকৈও অনেক সময়ত মজলীয়াবিধৰ বাংলা কিতাপ একোখনৰ সাহিত্যিক মূল্য বেছি যেন দেখা যায়। ১৯৭৩ চনত এজনো বাঙালী লেখকে সাহিত্য অকাডেমীৰ পুৰস্কাৰ নাপালে। 'দেশ' নামৰ বাংলা আলোচনীখনে তেতিয়া সম্পাদকীয় মন্তব্য কৰিছিল— "সাহিত্য অকাডেমীৰ বিচাৰ আমাৰ সাহিত্যৰ সৰ্বোত্তম বিচাৰ নিশ্চয় নহয় (তাৰ প্ৰমাণো আছে)। বাংলা সাহিত্যত বছৰি কিমান কিতাপ প্ৰকাশ হয় তাৰ খবৰ বিচাৰকসকলে ৰাখেনে? যি সকলৰ ওপৰত পুৰস্কাৰ প্ৰদানৰ চূড়ান্ত অধিকাৰ ন্যস্ত আছে, তেওঁলোক যে তাৰ কাৰণে যোগ্য ব্যক্তি— এই কথা বিশ্বাস কৰিবলৈ কিবা সংগত যুক্তি আছেনে? .... বাংলা ভাষাত ৰচিত গ্ৰন্থই অকাডেমী পুৰস্কাৰ নাপালে— তাৰ কাৰণে অন্তত লেখকসকলৰ ক্ষোভ কৰাৰ কোনো কাৰণ নাই। কিন্তু এটা প্ৰশ্ন আমি নিশ্চয় কৰিব পাৰোঁ— কাৰো ব্যক্তিগত মৰ্জী বা ৰুচিৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে সঁচাকৈয়ে বাংলা গ্ৰন্থৰ উপযুক্ততাৰ বিচাৰ হৈছেনে? ভাৰতৰ সকলো ভাষাৰে উল্লেখযোগ্য গ্ৰন্থ ৰচনা হ'ল। কেৱল বাংলা ভাষাত এখন সাধাৰণ মানুহৰ কিতাপো প্ৰকাশ নহ'ল— এই কথা ভাবিলে লাজ লাগে।"

১৯৭৩ চনত কোনো এখন বাংলা কিতাপেই কিয় সাহিত্য অকাডেমীৰ পুৰস্কাৰ নাপালে, তাৰ গোপন ৰহস্য ফাঁচ কৰি দি একে সংখ্যা 'দেশ'তে আন এটা প্ৰবন্ধ লেখা হৈছে। তাত লেখা হৈছে— "পুৰস্কাৰৰ যোগ্য কিতাপৰ নাম বিচাৰি বিশজন বিদগ্ধ বাঙালী সাহিত্যিক আৰু পণ্ডিতলৈ চিঠি আহিল। লেখকসকলৰ নাম গোপনীয়, চিঠিও গোপনীয়। সাহিত্য অকাডেমীয়ে বহুতবাৰ চিঠি লেখা-লেখি কৰি মাত্ৰ বাৰজনৰ পৰাহে উত্তৰ আদায় কৰিব পাৰিলে। বাকী আঠজন নীৰৱ হৈ থাকিল। এই নীৰৱতাৰ কেইটামান কাৰণ অত্যন্ত লজ্জাজনক। গণ্য-মান্য প্ৰাথমিক বিচাৰকসকলৰ পৰা যিবোৰ 'শ্ৰেষ্ঠ কিতাপ'ৰ নাম আহিল, তাত দেখা গ'ল যে কোনো কোনো 'শ্ৰেষ্ঠ লেখক' বিচাৰকৰ আত্মীয়-স্বজন, ঘনিষ্ঠ বন্ধুও। অনুগত বন্ধুৰ কিতাপৰ সম্পৰ্কে প্ৰাথমিক বিচাৰকে তিনি পৃষ্ঠাব্যাপী চুপাৰিশ পঠিয়াইছে, বাকী দুখন কিতাপৰ বিষয়ে মাত্ৰ দুটা লাইন। ... ... এই পৰ্ব শেষ হোৱাৰ পিছত চূড়ান্ত তালিকাত যিবোৰ মহাকাব্য চুপাৰিশ কৰা হ'ল, সেই তালিকা সাহিত্য অকাডেমীৰ কাৰ্য-নিৰ্বাহকৰ আগত পেছ কৰা গ'ল। নিৰ্বাচন-পৰ্বৰ এই পৰ্যায়ত যিটো ঘটিল সেইটো হ'ল— প্ৰাথমিক বিচাৰকসকলৰ দ্বিতীয় তালিকাৰ সকলো কিতাপৰ চাৰি কপি কৰি বজাৰৰ পৰা কিনি অনা হ'ল আৰু অকাডেমীৰ দ্বাৰা নিযুক্ত তিনিজন বীডাৰক সেইবোৰ পঢ়ি তেওঁলোকৰ

মতামত দিবলৈ কোৱা হ'ল। বীডাৰ তিনিজনৰ নাম টপ-টিক্ৰেট্। যথা সময়ত বীডাৰৰ মতামত অকাডেমীৰ অফিচলৈ আহিল। দেখা গ'ল, তিনিজনে তিনিখন বেলেগ বেলেগ কিতাপ চুপাৰিশ কৰিছে। যদি দুজনেও একেখন কিতাপকে নিৰ্বাচন কৰিলেহেঁতেন, তেন্তে এখন কিতাপে নিৰ্ঘাত পুৰস্কাৰ পাই গ'লহেঁতেন। সেইটো নহ'ল। ফলত এই বছৰত এখন বাংলা কিতাপেও সাহিত্য অকাডেমীৰ পুৰস্কাৰ নাপালে। হ'ব পাৰে যে সাহিত্য সমালোচকৰ বিচাৰ-পদ্ধতি হস্তী-বৰ্ণনা। কিন্তু আপাততঃ মই এইটোকেই বুজি পাওঁ যে প্ৰাথমিক বিচাৰক নিৰ্বাচনৰ ক্ষেত্ৰত চূড়ান্ত নিৰ্বুদ্ধিতা হৈ গৈছে। তেওঁলোকৰ ভিতৰত কোনো কোনো সাহিত্য বিচাৰত অপাৰগ। তেওঁলোক আছিল কোনোবা লেখকৰ মুৰব্বী।

১৯৬০ চনতো যেতিয়া এখনো বাংলা কিতাপে অকাডেমী পুৰস্কাৰ নাপালে, তেতিয়া প্ৰাক্তন শিক্ষামন্ত্ৰী হুমায়ুন কবিৰে অত্যন্ত দাম্ভিকতাৰে সৈতে ঘোষণা কৰিছিল— "ভাল বাংলা কিতাপ প্ৰকাশ হোৱা নাই।" তেওঁ এনে মিছা কথা কোৱাৰ কাৰণ আছিল এয়েই যে সেই বছৰ পুৰস্কাৰৰ খেলাত তেওঁৰ নিজস্ব কোনো প্ৰাৰ্থী নাছিল। বিশ্বাস আৰু জনশ্ৰুতি হৈছে এই যে সেই বছৰ তেওঁ কোনো এজন বিশেষ সাহিত্যিকৰ বিৰুদ্ধে প্ৰাথমিক বিচাৰকসকলৰ ওচৰত অবিৰতভাবে বিৰূপতা প্ৰকাশ কৰিছিল।"

পুৰস্কাৰ বা সন্মান প্ৰদানৰ ক্ষেত্ৰত সদায় যে এনে অবাঞ্ছনীয় ঘটনা ঘটে, তেনে কথা নিশ্চয় ক'ব নোৱাৰি। বেছিভাগ যোগ্যলোকেই নিশ্চয় সন্মানিত আৰু পুৰস্কৃত হৈছে। কিন্তু মাজে মাজে দুৰ্নীতি আৰু দুষ্কাৰ্য ঘটে। ফলত পুৰস্কাৰ আৰু সন্মানৰ অৱমূল্যায়ন ঘটে।

*　　　　*

দুৰ্নীতি কেৱল ভাৰততেই ঘটে এই কথা নিশ্চয় সঁচা নহয়। পুৰস্কাৰ বা সন্মান অৰ্জনৰ কাৰণে বিদেশতো নীচ ষড়যন্ত্ৰ চলে। ন'বেল পুৰস্কাৰো সকলো সময়তে সন্দেহমুক্ত নহয়। কিন্তু তাৰ মাজতো বিদেশৰ বহুতো সাহিত্যিকৰ এনে মহত্বৰ কাহিনী শুনিবলৈ পাওঁ— যিবোৰে মানুহৰ সততা আৰু মহত্বৰ ওপৰত আমাৰ বিশ্বাস বঢ়াই তোলে।

ছল বেল'ই নিজে ন'বেল পুৰস্কাৰ পোৱাৰ কথা শুনিয়েই মনত পেলাইছিল যে আগ্ৰে মাল্ৰো আৰু হেনৰি মিলাৰেও এই পুৰস্কাৰ পোৱা উচিত আছিল। ১৯২৬ চনত চিনক্লেয়াৰ লুইক আমেৰিকাৰ আটাইতকৈ লোভনীয় পুলিৎজাৰ পুৰস্কাৰ দিয়া হৈছিল। সেই পুৰস্কাৰ প্ৰত্যাখ্যান কৰি তেওঁ কৈছিল— "Every compulsion is put upon writers to become safe, polite, obedient, and sterile." কিন্তু ১৯৩০ চনত তেওঁ নিজৰ অনিচ্ছা সত্বেও সাহিত্যৰ ন'বেল পুৰস্কাৰ গ্ৰহণ কৰিলে। কিন্তু পুৰস্কাৰ লৈয়েই তেওঁৰ অনুভৱ হ'ল যে ইউজিনি অ'নিলেহে এই পুৰস্কাৰ পোৱা উচিত আছিল। পুৰস্কাৰ গ্ৰহণ কৰি দিয়া ভাষণত তেওঁ অকৃত্ৰিম অনুভূতিৰে সৈতে ঘোষণা কৰিলে— "Had you choosen eugene O'Neill, who had done nothing much in American Drama save to transform it utterly in ten or twelve years, from a false world of neat and competent trichery to a world of sendour and fear and greatness, you would have been reminded that he has done something for worse than scoffing- he has seen life as not to be neatly arranged in tl. study of a scholar but as a terrifying, magnificent, and often quite horrible thing, akin to the tornade, the earthquake, the devastating fire."

সাহিত্যিক পুৰস্কাৰৰ ক্ষেত্ৰত আৰু এটা মহত্বপূৰ্ণ ঘটনা ঘটিছিল এড্না চেইন্ট ভিনচেন্ট মিলেৰ ক্ষেত্ৰত। কাৰ্ডিনেও পিনি আৰ্ল নামৰ এজন সাহিত্যানুৰাগী মানুহে এবাৰ এটা কবিতা প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। প্ৰথম পুৰস্কাৰ পাঁচশ ডলাৰ। ভাল কবিতাবোৰ গোটাই তেওঁ 'লিৰিকেল্ ইয়েৰ' নাম দি এখন কবিতা-সংগ্ৰহ প্ৰকাশ কৰিলে। তেওঁ আশা কৰিছিল যে মাত্ৰ কৈশোৰৰ কবিতা আহিব, কিন্তু

প্ৰতিযোগিতাৰ কাৰণে কবিতা আহিল দহ হাজাৰ। উনৈশ বছৰীয়া ছোৱালী এড্‌না চেইণ্ট ভিনচেণ্ট মিলেয়ো Renascence নামৰ এটা কবিতা পঠালে। দহ হাজাৰ কবিতাৰ পৰা মাত্ৰ এশমান ভাল কবিতা কেনেকৈ বছা যায়? ফাৰ্ডিনেণ্ড আৰ্লে এজন বন্ধুৰ সহায় ল'লে। বন্ধুজনে কবিতাবোৰ পঢ়ি যায়, আৰু প্ৰথম স্তৱকটো পঢ়াৰ পিছত বেয়া যেন দেখিলেই দলি মাৰি পেলাই দিয়ে। ভিনচেণ্ট মিলেৰ কবিতাটোৰো প্ৰথম দুটামান লাইন পঢ়িয়েই বন্ধুজনে সেইটো এটা অত্যন্ত বাজে কবিতা বুলি পেলাই দিলে। কিন্তু ফাৰ্ডিনেণ্ড আৰ্লৰ কবিতাৰ ৰুচি আছিল নিৰ্ভুল। তেওঁ কবিতাটো বুটলি প্ৰস্তাৱিত কবিতা-সংগ্ৰহত ঠাই দিবৰ কাৰণে ৰাখি থৈ দিলে। চূড়ান্ত বিচাৰত অৰিক্ জন্ নামৰ এজন কবিয়ে পাঁচশ ডলাৰৰ প্ৰথম পুৰস্কাৰ লাভ কৰিলে। কিন্তু নিৰ্বাচিত আটাইবোৰ কবিতা গোট খুৱাই যেতিয়া 'লিৰিকেল্ ইয়েৰ' নামৰ কবিতা-সংগ্ৰহখন প্ৰকাশ কৰা হ'ল, তেতিয়া সমগ্ৰ আমেৰিকাই ঘোষণা কৰিলে যে উনৈশ বছৰীয়া ছোৱালী এড্‌না চেইণ্ট ভিনচেণ্ট মিলেই লেখা Renascence নামৰ কবিতাটো কেৱল সেই কবিতা সংগ্ৰহৰে সৰ্বশ্ৰেষ্ঠ কবিতা নহয়, বিংশ শতাব্দীৰ আমেৰিকান কবিতাৰ ই এটা অন্যতম সৰ্বশ্ৰেষ্ঠ কবিতা, প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পোৱা অৰিক্ জনে নিজে আহি ঘোষণা কৰিলে যে তেওঁক প্ৰথম পুৰস্কাৰ দি অত্যন্ত অবিচাৰ কৰা হৈছে, তেওঁ পুৰস্কাৰ ল'বলৈ অস্বীকাৰ কৰিলে।

আমাৰ দেশত এনে ঘটনা কেতিয়াবা ঘটিছেনে বা ভৱিষ্যতে ঘটিবনে?

টেইল-পিচ ঃ চুইডেনৰ ৰজা গুস্তাভ এবাৰ পেৰিছ ভ্ৰমণ কৰিবলৈ আহিছিল। তেওঁৰ দেশৰেই এজন ডাঙৰ বিজ্ঞানী স্কিলিয়ে চুম্বক-শক্তিৰ বিষয়ে কৰা মৌলিক গৱেষণা কাৰণে পেৰিছৰ গুণী-জ্ঞানী লোকসকলে ছুইডেনৰ ৰজাক উচ্ছ্বসিত অভিনন্দন জনালে। ৰজা গুস্তাভে কেতিয়াও স্কিলিৰ নাম শুনি পোৱা নাছিল। কিন্তু পেৰিছত স্কিলিৰ প্ৰশংসা শুনি ৰজাই তৎক্ষণাৎ তেওঁৰ প্ৰধান মন্ত্ৰীলৈ টেলিগ্ৰাম কৰি আদেশ দিলে যে স্কিলিক কাউণ্টৰ পদ দিব লাগে। প্ৰধান মন্ত্ৰী বা তেওঁৰ আন কোনো সহকৰ্মীয়েও কেতিয়াও স্কিলিৰ নাম শুনা পোৱা নাই। বহুত কষ্ট কৰি তেওঁলোকে এজন স্কিলিক বিচাৰি উলিয়ালে। তেওঁ আছিল এজন সামৰিক বিষয়া আৰু বিলিয়াৰ্ড চেম্পিয়ন। যিহওক, স্কিলি নামৰ এজন মানুহ বিচাৰি পোৱা গ'ল। ৰজাৰ আজ্ঞা পালন কৰি তেওঁকেই কাউণ্টৰ পদ দিয়া হ'ল। বিজ্ঞানী স্কিলিৰ কোনেও একো খবৰেই নাপালে।

আধুনিক ভাৰতৰ অন্যতম শ্ৰেষ্ঠ কবি জীৱনানন্দ দাশৰ আকস্মিক দুৰ্ঘটনাত মৃত্যু হোৱাত সেই সময়ৰ পশ্চিম বংগৰ মুখ্যমন্ত্ৰী বিধানচন্দ্ৰ ৰায়েও শব-যাত্ৰাত যোগ দিবলৈ গ'ল। তেওঁ শব-যাত্ৰাত যোগ দিবলৈ যোৱাৰ একমাত্ৰ কাৰণ আছিল এয়ে যে দুয়ো আছিল ব্ৰাহ্ম আৰু দূৰ সম্পৰ্কীয় আত্মীয়। কিন্তু জীৱনানন্দৰ শব-যাত্ৰাত যোগ দিয়া অগণিত মানুহৰ শোকাকুল মুখ দেখি বিধান ৰায় পৰম বিস্মিত হ'ল। কত মানুহেই মৰে, কিন্তু জীৱনানন্দৰ মৃত্যুত কলিকাতৰ ইমানবোৰ মানুহ অৱৰ্ণনীয় শোকত ভাগি পৰিছে কিয়? জীৱনত প্ৰথমবাৰৰ কাৰণে বিধান ৰায়ে জানিব পাৰিলে যে জীৱনানন্দই কবিতা লিখিছিল। কিন্তু সেই কবিতাই সাহিত্যৰ মাজত অস্তিত্ব চেতনাৰ অপৰিসীম ব্যাপ্তি অনুভৱ কৰা লাখ লাখ মানুহৰ কাৰণে অনিৰ্বচনীয় আনন্দ-বেদনাৰ কি অপাৰ্থিৱ জগত সৃষ্টি কৰিছিল, সেই কথা বিধান ৰায়ে বিন্দুমাত্ৰ অনুভৱ কৰিব পাৰিছিলনে?

গণতন্ত্ৰৰ সৰ্বশ্ৰেষ্ঠ সংজ্ঞা : আলোচনাৰ সাৰ্বভৌমত্ব

সংবিধানৰ প্ৰস্তাৱিত সংশোধনত ভাৰতীয় নাগৰিকসকলৰ কাৰণে যি দহোটা মৌলিক কৰ্তব্য নিৰ্দিষ্ট কৰি দিবলৈ বিচৰা হৈছে, সেইবোৰৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য এটা কৰ্তব্য হ'ল দেশৰ স্বাধীনতা সংগ্ৰামৰ মহৎ আদৰ্শবোৰৰ প্ৰতি সন্মান আৰু আনুগত্য। পৃথিৱীৰ বিভিন্ন দেশৰ স্বাধীনতা-সংগ্ৰামবোৰৰ ভিতৰত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এটা অদ্বিতীয় বৈশিষ্ট্য আছিল। সেই বৈশিষ্ট্য হ'ল এক নতুন মানৱিক প্ৰমূল্যৰ প্ৰতিষ্ঠা। গান্ধীজী আৰু নেহৰু আছিল এই প্ৰমূল্যৰ মূৰ্ত প্ৰতীক। স্বাধীনতা সংগ্ৰামৰ মহৎ আদৰ্শৰ কথা বুলিলে (যাৰ প্ৰতি আনুগত্যক ভাৰতীয় নাগৰিকৰ এটা মৌলিক কৰ্তব্য বুলি স্থিৰ কৰি দিয়া হৈছে) আমি ঘাইকৈ গান্ধীজী আৰু নেহৰুৰ শিক্ষাকেই বুজিব লাগিব।

গান্ধীয়ে আমাক শিকাই থৈ গৈছে যে অসৎ পথেৰে কোনেও সৎ বা মহৎ লক্ষ্যত উপনীত হ'ব নোৱাৰে। যুদ্ধৰ লক্ষ্য হ'ল শত্ৰুৰ বিনাশ সাধন। কিন্তু আজীৱন যুঁজাৰু গান্ধীজীৰ অভিধানত 'শত্ৰু' বুলি কোনো এটা শব্দ নাছিল। প্ৰতিপক্ষক তেওঁ জয় কৰিবলৈ চেষ্টা কৰিছিল প্ৰেম আৰু অহিংসাৰে। পৃথিৱীৰ ইতিহাসত প্ৰথমবাৰৰ কাৰণে প্ৰেম আৰু অহিংসাৰ অস্ত্ৰেৰে এখন দীঘলীয়া যুদ্ধ কৰি তেওঁ এনে এটা পৰিৱেশৰ সৃষ্টি কৰিছিল— যি পৰিৱেশত তিক্ততা বা বৈৰিতাৰ মনোভাৱৰ বিন্দুমাত্ৰ অৱশিষ্ট বাকী নৰখাকৈ বিদেশী শাসন-শোষণ দূৰীভূত কৰা সম্ভৱ হৈছিল। প্ৰতিপক্ষ স্বদেশীয়েই হওক বা বিদেশীয়েই হওক, গান্ধীজাৰ এই প্ৰেম আৰু অহিংসাৰ ৰণ-কৌশল আমাৰ দেশৰ মুক্তি সংগ্ৰামৰ এক মহত্তম [illegible]। ভাৰতৰ মুক্তি-সংগ্ৰামৰ মহৎ আদৰ্শৰ প্ৰতি আনুগত্য যদি ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্তব্য বুলি বিবেচিত হয়, তেন্তে তাৰ অৰ্থ এয়ে হ'ব লাগিব যে দেশৰ সকলো শ্ৰেণীৰ মানুহৰ মনৰ পৰা পাৰস্পৰিক প্ৰতিহিংসা, গোপন ষড়যন্ত্ৰ আৰু হিংসাত্মক মনোভাৱ দূৰ কৰিব লাগিব।

গান্ধীজীৰ আৰু কেইটামান শিক্ষা আছিল মুহূৰ্তত বিশেষভাৱে স্মৰণযোগ্য। তেওঁ কৈছিল— 'প্ৰকৃত গণতন্ত্ৰত নিৰংকুশ ব্যক্তি স্বাধীনতাৰ কোনো স্থান নাই; সমাজৰ সাৰ্বিক মংগলৰ কাৰণে প্ৰত্যেক ব্যক্তিয়ে স্বেচ্ছাই নিজৰ কিছুমান অধিকাৰ আৰু সা-সুবিধা ত্যাগ কৰিব লাগিব। প্ৰতিবাদৰ ধৰণ যদি সুসভ্য হ'ব লাগে, তেন্তে ই হ'ব লাগিব মৰ্যাদাসম্পন্ন, সুনিয়ন্ত্ৰিত আৰু বিদ্বেষমুক্ত। অনুষ্ঠান যিমানেই ডাঙৰ হয়, ক্ষমতাৰ অপপ্ৰয়োগৰ ভয় সিমানেই বেছি হয়। গণতন্ত্ৰ হৈছে এক বিৰাট অনুষ্ঠান আৰু সেই কাৰণে ইয়াত ক্ষমতাৰ অপপ্ৰয়োগৰ সম্ভাৱনা অধিক। চৰকাৰৰ কাৰ্য্যাৱলী যেতিয়ালৈকে সহনীয়, তেতিয়ালৈকে চৰকাৰক সমৰ্থন জনোৱাটো উচিত। যেতিয়াই এই কাৰ্য্যাৱলীয়ে ব্যক্তিক আৰু জাতিক আঘাত ক'ৰে, তেতিয়াই চৰকাৰৰ প্ৰতি সমৰ্থন ত্যাগ কৰাটো কৰ্তব্য হৈ পৰে। ব্যক্তিৰ যদি কোনো মূল্য নাথাকে, তেন্তে সমাজৰ কিটো থাকিল? কেৱল ব্যক্তি স্বাতন্ত্ৰ্যইহে সমাজৰ সেৱা কৰিবলৈ মানুহক সক্ষম কৰে।

ইয়াক যদি বলপূৰ্বকভাৱে আদায় কৰা হয়, তেন্তে মানুহ যন্ত্ৰত পৰিণত হয় আৰু সমাজো ধ্বংসমুখী হয়।

গান্ধীজীয়ে মানৱ-সভ্যতাৰ চিৰন্তন পৰম্পৰা বহন কৰিছিল, নেহৰুৱে তাত যোগ দিছিল আধুনিক যুগৰ বাণী। তেওঁ কৈছিল— "আমাৰ চৰম লক্ষ্য হ'ল এনে এখন শ্ৰেণীহীন সমাজ সৃষ্টি কৰা— য'ত

সকলোৰে কাৰণে সমান আৰ্থিক ন্যায় আৰু সুযোগ থাকিব। মানব-সমাজক উচ্চতৰ বৈষয়িক আৰু সাংস্কৃতিক স্তৰলৈ উন্নীত কৰিবলৈ সুপৰিকল্পিত ভিত্তিত এনে এখন সমাজ সংগঠিত কৰিব লাগিব। সেই সমাজত প্ৰত্যেক মানুহেই প্ৰমূল্য, সহযোগিতা, পৰ-হিতৈষণা, সেবাব্ৰত, সৎকাৰ্য, সদিচ্ছা আৰু প্ৰেমৰ অনুশীলন কৰিব পাৰিব লাগিব। আমাৰ এই লক্ষ্যত উপনীত হোৱাৰ পথত যদি কিবা বাধা আছে, তেন্তে সেই বাধা দূৰ কৰিবই লাগিব; দূৰ কৰিব লাগিব সম্ভৱ হ'লে নৰমভাৱে, প্ৰয়োজন হ'লে বল প্ৰয়োগ কৰি। কিন্তু এটা বিষয়ে কোনো সন্দেহ নাই যে বল-প্ৰয়োগৰ প্ৰয়োজন হয়তো প্ৰায়েই অপৰিহাৰ্য্য হৈ পৰিব। কিন্তু বল-প্ৰয়োগ যদি কৰিবই লগা হয়, তাক কেতিয়াও হিংসা বা নিষ্ঠুৰতাৰ মনোভাৱেৰে কৰা উচিত নহয়; কেৱল প্ৰতিবন্ধক দূৰ কৰিবলৈ হিংসা-দ্বেষহীন নিৰ্মল হৃদয়েৰেহে তেনে বল প্ৰয়োগ কৰাটো উচিত হ'ব।"

নেহৰুৱে তেওঁৰ কঠোৰতম সমালোচক ৰামমনোহৰ লোহিয়াক জেললৈ পঠিয়াইছিল, আৰু কাৰাৰুদ্ধ লোহিয়ালৈ ব্যক্তিগত প্ৰীতি-উপহাৰ হিচাপে পঠিয়াইছিল খৰাহীয়ে খৰাহীয়ে উৎকৃষ্টতম আম।

আমাৰ দেশত দ্ৰুততম গতিৰে উন্নতিৰ পথলৈ নিবলৈ সম্প্ৰতি এটা চেষ্টা আৰম্ভ হৈছে। সামাজিক ৰূপান্তৰৰ এনে এটা বিৰাট প্ৰচেষ্টাৰ সময়ত ৬০ কোটি মানুহৰ এখন দেশত নানা প্ৰকাৰৰ মতভেদ হোৱাটো খুবেই স্বাভাৱিক। কিন্তু সেই মতভেদে যাতে স্থায়ী তিক্ততাৰ সৃষ্টি কৰি জাতিৰ হৃদয় খণ্ড-বিখণ্ড নকৰে তাৰ প্ৰতি সতৰ্ক মনোযোগ ৰাখিব লাগিব। ঘৃণা আৰু ঘৃণামুক্ত সমাজেই প্ৰকৃত সুসভ্য সমাজ। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ মহত্তম আদৰ্শ আছিল এইটোৱে যে কেৱল ৰাজনৈতিক বা অৰ্থনৈতিক স্বাধীনতা অৰ্জনেই ইয়াৰ একমাত্ৰ উদ্দেশ্য নাছিল, ইয়াত তাতোকৈ ডাঙৰ উদ্দেশ্য আছিল মানুহৰ পুনৰ্নিৰ্মাণ, অৰ্থাৎ এখন ঘৃণা আৰু হিংসামুক্ত সমাজৰ সৃষ্টি। এনে এখন সমাজ সৃষ্টিত অবিৰাম প্ৰচেষ্টাত শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বই আৰু কিছু বৰঙণি যোগাব— সমগ্ৰ দেশবাসীয়ে আজি তাকেই আশা কৰে। তাৰ কাৰণে তেওঁৰ যোগ্যতাও আছে। বিখ্যাত কবি ড° অমিয় চক্ৰৱৰ্তীয়ে ১৯৭১ চনত শ্ৰীমতী গান্ধীক প্ৰথমবাৰৰ কাৰণে লগ পোৱাৰ পিছত লিখিছিল— 'To meet India's Prime Minister Mrs. Gandhi was a benediction; her quiet strong and friendly personality impressed me once more as India's essential inheritance. She combines the value of a timeless civilization with a modern touch, which reflects her indomitable hope and faith in true democracy.'

কংগ্ৰেছ সভাপতি দেৱকান্ত বৰুৱায়ো অলপতে এবাৰ অতি তাৎপৰ্য্যপূৰ্ণ কথা কৈছে। তেওঁৰ মতে গণতন্ত্ৰৰ বহুতো সংজ্ঞাৰ ভিতৰত যিটো সংজ্ঞা তেওঁৰ আটাইতকৈ ভাল লাগে, সেইটো হ'ল Sovereignty of discussion অৰ্থাৎ আলোচনাৰ সাৰ্বভৌমত্ব। মুক্ত আলোচনাই সভ্যতাৰ প্ৰধান চালিকা শক্তি। গান্ধীজীৰ জীৱনটো আছিল নিজৰ আৰু আনৰ লগত অন্তহীন আলোচনা— যাৰ কাৰণে তেওঁৰ ধৈৰ্য্যৰ সীমা নাছিল। 'আলোচনাৰ সাৰ্বভৌমত্ব'ৰ আদৰ্শৰ ভেটিত ভাৰতৰ গণতন্ত্ৰ নিৰ্মিত আৰু বিকশিত হওক— এই সংকল্পই হ'ব আমাৰ দেশৰ মুক্তি সংগ্ৰামৰ মহৎ আদৰ্শৰ প্ৰতি আমাৰ আনুগত্যৰ নিদৰ্শন।

মঞ্চত আৰু নেপথ্যত

উৰিষ্যা আৰু পশ্চিম বঙ্গৰ ঘটনাৱলী সৰ্বসাধাৰণ ৰাইজৰ চকুত এটা ডাঙৰ ৰহস্য হৈ দেখা দিছে। উৰিষ্যাৰ মুখ্যমন্ত্ৰী পদচ্যুত হৈছে আৰু পশ্চিম বঙ্গৰ মুখ্যমন্ত্ৰী বিপদৰ সন্মুখীন হৈছে— সেইটো একো ডাঙৰ কথা নহয়। গণতন্ত্ৰৰ এটা প্ৰধান সুবিধাই হৈছে এই যে অবাঞ্ছিত মানুহক সুসভ্য আৰু শান্তিপূৰ্ণ উপায়েৰে ক্ষমতাচ্যুত কৰিব পাৰি। কিন্তু উৰিষ্যাত যি পদ্ধতিৰে শ্ৰীমতী সতপথীক দলত্যাগ কৰিবলৈ বাধ্য কৰা হ'ল আৰু পশ্চিম বঙ্গতো শ্ৰীসিদ্ধাৰ্থ শংকৰ ৰায়ক তাকে কৰাবলৈ চেষ্টা কৰি থকা হৈছে, সি দেশৰ ৰাজনীতিত সুদূৰপ্ৰসাৰী প্ৰক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। সেই ফালৰ পৰা ই এটা অতি তাৎপৰ্যপূৰ্ণ ঘটনা, আৰু তাৰ ওপৰত আলোচনা হোৱাটো প্ৰয়োজনীয়। ৰাইজৰ চকুত যিটো কথা আটাইতকৈ আচৰিত যেন লাগিছে, সেইটো হ'ল এই যে জৰুৰী অৱস্থাই জাপি দিয়া কঠোৰ অনুশাসনৰ মাজত এই প্ৰথম বাৰৰ কাৰণে শাসক দলৰ আভ্যন্তৰীণ ক্ষমতাৰ যুদ্ধ আৰু অন্তৰ্বিৰোধ অতি অ-সংযত ৰূপত বাহিৰত প্ৰকাশ পাইছে। ইয়াক নিশ্চয় বাধা দিব পৰা গ'লহেঁতেন। দেশৰ সৰ্বোচ্চ নেতৃত্বৰ নৈতিক আৰু ৰাজনৈতিক কৰ্তৃত্ব সম্প্ৰতি ইমানেই সুদৃঢ় যে তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে গৈ কোনেও এনে ধৰণে বোকাৰ ফাকু খেলত লিপ্ত হ'বলৈ সাহস কৰিব নোৱাৰে। অথচ কাৰ্যতঃ ঠিক সেইটোৱেই হৈছে। পশ্চিম বংগত যুধ্যমান দুয়োটা পক্ষৰ বাক্‌-যুদ্ধ বা বিবৃতি-যুদ্ধই সম্প্ৰতি এনে অশালীন আৰু অসংযত ৰূপ লৈছেগৈ যে তাত দলীয় অনুশাসনৰ অস্তিত্বই নোহোৱা হৈ গৈছে। বিভিন্ন পক্ষৰ পৰা প্ৰতিদিনে বাতৰি কাকতত যিবোৰ বিবৃতি প্ৰকাশ পাইছে [illegible] পঢ়িলে নিজৰ চকুকেই বিশ্বাস কৰা টান হৈ পৰে। গোটেই দৃশ্যটো কল্পনা কৰিলে এনেহে লাগে যেন মাক-[illegible] নিজৰ কেইটামান উৎপতীয়া ল'ৰা-ছোৱালীক কিছু সময়ৰ কাৰণে নিজৰ ভিতৰতে মৰা-মৰি কৰিবলৈ এৰি দি ৰং চাইছে। অথচ ঘটনাটোক ইমান দূৰলৈ আগবঢ়াই নিদি বহুত আগতেই তাক [illegible] দিব পৰা হ'লহেঁতেন। দিয়া যে নহ'ল, তাৰ নিশ্চয় এটা গূঢ় উদ্দেশ্য বা কাৰণ আছে। সৰ্বসাধাৰণৰ চকুত সেই উদ্দেশ্য এতিয়াও ৰহস্যাবৃত।

সকলো শাসন-ব্যৱস্থাৰ ভিতৰত একমাত্ৰ গণতন্ত্ৰই অযোগ্য বা অবাঞ্ছিত লোকক ক্ষমতা-চ্যুত কৰাৰ সুসভ্যতম পন্থা উদ্ভাৱন কৰিছে। সেইটো হ'ল ভোটৰ দ্বাৰা নেতাৰ ভাগ্য-নিৰ্ণয়। আলোচ্য প্ৰসংগত শ্ৰীমতী নন্দিনী শতপথী বা শ্ৰীসিদ্ধাৰ্থশংকৰ ৰায়ে যদি দলৰ সংখ্যা-গৰিষ্ঠ সদস্যৰ সমৰ্থন হেৰুৱাইছিল, তেন্তে বিধিসম্মত উপায়েৰে সেইটো প্ৰমাণিত হ'বলৈ দিয়াটোৱেই আছিল একমাত্ৰ যুক্তিসংগত পন্থা। অনিবাৰ্য্য কাৰণত তাকে নকৰি দলৰ হাইকমাণ্ডে আপোচ-মীমাংসাৰ যোগেদি সমস্যাটোৰ নিষ্পত্তি কৰি পেলোৱা হ'লেও বিশেষ আপত্তিৰ কথা নহ'লহেঁতেন। কিন্তু সেই দুটাৰ এটাও নকৰি কিয় গোটেই প্ৰশ্নটোক এটা দীঘলীয়া আৰু তিক্ততাপূৰ্ণ বিতৰ্কৰ বিষয় হ'বলৈ এৰি দিয়া হ'ল আৰু তাৰ দ্বাৰাই বৌ-ৰবাতিৰ পৰা আৰম্ভ কৰি পুঠি-খলিহালেকে সকলোকে গুভতগোৰে নাচিবলৈ সুবিধা দিয়া হ'ল, সেই কথা বুজিবলৈ আমি খুব টান পাইছোঁ। কেৱল অনুমান কৰিছোঁ যে ইয়াৰ মাজতো নিশ্চয় এটা গূঢ় উদ্দেশ্য আছে।

ভাৰতীয় ৰাজনীতিয়ে ধীৰে ধীৰে দিশ সলাবলৈ আৰম্ভ কৰিছে। কংগ্ৰেছ দলৰ মাজতো বিভিন্ন বিষয়ৰ ওপৰত নতুন চিন্তাৰ সূত্ৰপাত হৈছে। উৰিষ্যা আৰু পশ্চিম বঙ্গত সংঘটিত ক্ষমতাৰ যুদ্ধখন দেখাত ব্যক্তি-কেন্দ্ৰিক যেন লাগিলেও আচলতে তাৰ অন্তৰালত কাম কৰিছে বৃহত্তৰ স্বাৰ্থ বা আদৰ্শৰ সংঘাতে। কিন্তু চকুৰ আগত মঞ্চত বিসকলক দেখিবলৈ পাইছোঁ, তেওঁলোক আচলতে এই ঘটনা-প্ৰবাহৰ চালিকা-শক্তি নহয়; আচল শক্তিবোৰে কাম কৰিছে নেপথ্যত।

বিৰোধী দলবোৰৰ ভূমিকা

বিৰোধী দলবোৰে কি ভাবিছে বা কি কৰিছে, সেই বিষয়ে সবিশেষ জনাৰ একো উপায় নাই। বাতৰি কাকতত প্ৰকাশিত বিৰল বিবৃতিৰ পৰা কেৱল এইখিনিকেই জনা গৈছে যে বিৰোধী দলবোৰ পুনৰ সক্ৰিয় হৈ উঠিব পৰাকৈ এটা অনুকূল পৰিৱেশ সৃষ্টি কৰাৰ উদ্দেশ্যে তেওঁলোকে প্ৰধান মন্ত্ৰীৰ লগত আলোচনাত বহিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। তদুপৰি কেইটামান ৰাজনৈতিক দলে একত্ৰিত হৈ এটা নতুন বিৰোধী দল গঠন কৰিবলৈকো চেষ্টা কৰি আছে।

ভাৰতে সংসদী গণতন্ত্ৰৰ পথ বাছি লৈছে, আৰু এই ব্যৱস্থাত বিৰোধী দলৰ অস্তিত্ব অপৰিহাৰ্য্য। কিন্তু নিজৰ অস্তিত্ব সাৰ্থকতা বা প্ৰয়োজনীয়তা প্ৰমাণ কৰিবলৈ হ'লে এই দলবোৰে গণতন্ত্ৰৰ কেইটামান পূৰ্ব-চৰ্ত মানি ল'বই লাগিব। সেইবোৰৰ ভিতৰত প্ৰধানটো হ'ল এয়েই যে সকলো প্ৰকাৰৰ শাসন-ব্যৱস্থাৰ ভিতৰত একমাত্ৰ গণতন্ত্ৰই আলাপ-আলোচনাৰ যোগেদি আৰু শান্তিপূৰ্ণ উপায়েৰে বিকল্প চৰকাৰ গঠন কৰিবলৈ সুবিধা দিয়ে। সেইটোৱেই গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য আৰু ডাঙৰ আকৰ্ষণ। যদি কোনোবা বিৰোধী দলে ক্ষমতা দখলৰ উদ্দেশ্যে আলাপ-আলোচনা আৰু শান্তিৰ পথ পৰিহাৰ কৰি বল-প্ৰয়োগৰ পথ ধৰে, তেন্তে তেওঁলোকে গণতন্ত্ৰৰ প্ৰধানতম পূৰ্ব-চৰ্ত লংঘন কৰি বিৰোধী দল হিচাবে কাম কৰিবলৈ নিজৰ নৈতিক অধিকাৰ হেৰুৱাই পেলায়। আনকি চে গুৱাভেৰাৰ নিচিনা উগ্ৰ-পন্থী বিপ্লৱীয়েও স্বীকাৰ কৰি গৈছে যে গণতান্ত্ৰিক উপায়েৰে নিজৰ মতামত প্ৰকাশ কৰাৰ ন্যূনতম সুযোগ-সুবিধাখিনি থকালৈকে কোনো দলেই হিংসাৰ পথ অবলম্বন কৰা উচিত নহয়।

দ্বিতীয়তে, কেৱল বিৰোধিতাৰ কাৰণেই বিৰোধিতা কৰাটো বিৰোধী দলবোৰৰ একমাত্ৰ উদ্দেশ্য কেতিয়াও হ'ব নোৱাৰে বা হোৱা উচিত নহয়। প্ৰত্যেক ৰাজনৈতিক দলৰ আদৰ্শ আৰু কৰ্মসূচী বেলেগ বেলেগ হ'ব পাৰে, কিন্তু গণতান্ত্ৰিক শাসন-ব্যৱস্থাক সচল কৰি ৰাখিবলৈ হ'লে কেতবোৰ ন্যূনতম বিষয়ত সকলো দলৰে মতৈক্য থাকিব লাগিব। সেয়ে নহ'লে গণতান্ত্ৰিক শাসন-ব্যৱস্থাৰ অৱস্থা হ'ব চাৰিটা ঘোঁৰাই চাৰিওফালে টনা এখন গাড়ীৰ নিচিনা। দুৰ্ভাগ্যবশতঃ ভাৰতৰ ৰাজনৈতিক দলবোৰৰ মাজত এই ন্যূনতম মতৈক্যৰ সম্পূৰ্ণ অভাব ঘটিছে, আৰু তাৰ ফলত গণতন্ত্ৰৰ সুস্থ পৰম্পৰা এই দেশত এতিয়াও গঢ়ি উঠিব পৰা নাই।

প্ৰত্যেক ৰাজনৈতিক দলৰ চূড়ান্ত লক্ষ্য হ'ল ক্ষমতা দখল। সেই উদ্দেশ্যেৰে তেওঁলোকে নিজৰ কৰ্মসূচী ৰাইজৰ আগত দাঙি ধৰি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অংশ গ্ৰহণ কৰে। গণতন্ত্ৰ শক্তিশালী হ'বলৈ হ'লে বিৰোধী দলবোৰ এনেভাৱে শক্তিশালী হোৱা উচিত— যাতে তেওঁলোকে নিজৰ কৰ্মসূচীৰ ভিত্তিত জন-সমৰ্থন লাভ কৰি বিকল্প চৰকাৰ গঠন কৰিব পাৰে। একোটা বিশেষ দল বহুত দীঘলীয়া সময়ৰ কাৰণে ক্ষমতাত অধিষ্ঠিত থাকিলে তেওঁলোকৰ মাজত যেনেকৈ মাত্ৰাধিক আত্ম-সন্তুষ্টি আৰু দুৰ্নীতিয়ে দেখা দিব পাৰে, ঠিক তেনেকৈ কোনোকালে শাসন-ক্ষমতা দখল কৰিবলৈ আশা কৰিব নোৱাৰা বিৰোধী দলবোৰৰ মাজতো তিক্ততা, ধৈৰ্য-চ্যুতি আৰু দায়িত্বহীনতাৰ মনোভাব গঢ়ি উঠিব পাৰে। ভাৰতত ঠিক এই ঘটনাই ঘটিছে। ভাৰতত বিৰোধী দলবোৰে ক্ষমতা দখল কৰিব নোৱাৰাৰ কাৰণে শাসক দলৰ ষড়যন্ত্ৰ বা জনসাধাৰণৰ ৰাজনৈতিক চেতনাৰ অভাৱকে কেতিয়াও দায়ী কৰিব নোৱাৰি। দেশৰ নিৰ্বাচনী ব্যৱস্থা যিমানেই ত্ৰুটিপূৰ্ণ নহওক লাগিলে— এই ব্যৱস্থাৰ মাজেদিয়েই ১৯৬৭ চনত ভাৰতত বহু কেইখন ৰাজ্যত বিৰোধী দলবোৰে সম্মিলিতভাৱে সংখ্যা-গৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিবলৈ সুযোগ পাইছিল। কিন্তু সেই ক্ষমতা তেওঁলোকে ৰাখিব নোৱাৰিলে— কাৰণ তেওঁলোকৰ নিৰ্বাচনী মিত্ৰতাৰ

একমাত্ৰ ভিত্তি আছিল ক্ষমতাৰ লোভ— আদৰ্শিক মতৈক্য নহয়। এই ঘটনাই ভাৰতৰ বিৰোধী দলবোৰৰ প্ৰধান দুৰ্বলতাটো প্ৰকট কৰি তোলে। সেইটো হ'ল অসংখ্য দল-উপদলৰ অস্তিত্ব। গণতান্ত্ৰিক শাসন-ব্যৱস্থা সুস্থভাৱে চলিবলৈ হ'লে ৰাজনৈতিক দলৰ সংখ্যা যিমান সম্ভৱ কম হোৱা উচিত— যাতে জনসাধাৰণৰ চকুৰ আগত বিকল্প চৰকাৰ গঠন কৰিব পৰা দলকেইটা আৰু তেওঁলোকৰ ঘোষিত কৰ্মসূচী স্পষ্টভাৱে জিলিকি থাকে। এনেয়ে ভাৰতৰ জনসাধাৰণৰ বেছিভাগেই অজ্ঞ আৰু নিৰক্ষৰ; তাতে আকৌ যেতিয়া শ শ দল-উপদলে ভোট বিচাৰি হেঁচা-ঠেলা লগায়, তেতিয়া সৰ্বসাধাৰণ ৰাইজ স্বাভাৱিকতেই বিভ্ৰান্ত হৈ পৰে। ভাৰতৰ বিৰোধী দলবোৰ বহুধা-বিভক্ত হৈ থকাৰ ফলতেই বিকল্প চৰকাৰ গঠনৰ সম্ভাৱনা এতিয়াও সুদূৰ-পৰাহত হৈ আছে আৰু ফলত গণতন্ত্ৰও দুৰ্বল হৈ আছে। কোৱা বাহুল্য মাথোন যে শাসক দলৰ নিজৰ স্বাস্থ্যৰ কাৰণেও এটা শক্তিশালী, উদ্দেশ্যধৰ্মী আৰু বিকল্প-চৰকাৰ গঠন কৰিব পৰাৰ ক্ষমতা থকা বিৰোধী দলৰ একান্ত প্ৰয়োজন।

ডেৰ-বছৰতকৈ বেছি সময় ধৰি দেশত জৰুৰী অৱস্থা চলি আছে আৰু বিৰোধী দলবোৰ স্বাভাৱিকতেই নিষ্ক্ৰিয় হৈ থাকিব লগা হৈছে। এই অৱস্থা দীঘলীয়া হোৱাটো কোনেও বাঞ্ছা নকৰে। বিৰোধী দলবোৰে ঘোষণা কৰিছে যে এই অচলাৱস্থাৰ অৱসানৰ কাৰণে তেওঁলোক প্ৰধান মন্ত্ৰীৰ লগত আলোচনাত বহিবলৈ ইচ্ছুক। আনহাতে প্ৰধান মন্ত্ৰীয়ে কৈছে যে বিৰোধী দলবোৰে তেওঁলোকৰ জৰুৰী অৱস্থাৰ আগৰ কাৰ্য-কলাপবোৰ অগণতান্ত্ৰিক বুলি স্বীকাৰ নকৰালৈকে আৰু ভৱিষ্যতে তেনে পন্থা পৰিহাৰ কৰি চলিম বুলি প্ৰতিশ্ৰুতি নিদিয়ালৈকে কোনো আলোচনাই ফলপ্ৰসূ হ'ব নোৱাৰে। ব্যস্ততাৰ মাজত বা মনৰ উত্তেজিত অৱস্থাত কোনো মানুহৰে আত্ম-বিশ্লেষণৰ ধৈৰ্য নাথাকে। কিন্তু এই কথা নিশ্চয় আশা কৰিব পাৰি যে যোৱা ডেৰ বছৰৰ বল-পূৰ্বক নিষ্ক্ৰিয়তাই বিৰোধী দলবোৰক আত্ম-সমালোচনাৰ অৱকাশ দিছে। এতিয়া এই কথা নিশ্চয় ক'ব পাৰি যে বিৰোধী দলবোৰৰ আটাইতকৈ ডাঙৰ শত্ৰু ইন্দিৰা গান্ধী বা কংগ্ৰেছ দল নহয়, তেওঁলোকৰ আটাইতকৈ ডাঙৰ শত্ৰু হ'ল নিজৰ দুৰ্বলতা, অনৈক্য আৰু নেতিবাচক মনোভাব। যিবোৰ বিৰোধী দলৰ মাজত অহি-নকুল সম্পৰ্ক বিৰাজমান, তেওঁলোক কেৱল এটা মাত্ৰ কৰ্মসূচীৰ ভিত্তিত ঐক্যবদ্ধ হ'বলৈ আগবাঢ়ি আহে। সেইটো হ'ল 'ইন্দিৰা-হটাও' কৰ্মসূচী। এনে এটা অতিশয় সীমাবদ্ধ আৰু নেতিবাচক কৰ্মসূচী কোনো ৰাজনৈতিক দলৰ পক্ষেই গৌৰৱৰ কাৰণ হ'ব নোৱাৰে। আজি যিকেইটা বিৰোধী দলে একত্ৰিত হ'বলৈ চেষ্টা চলাই আছে, তেওঁলোকৰো কোনো সদৰ্থক বা ইতিবাচক কাৰ্যসূচী নাই; যি যৎসামান্য আছে, সি জনসাধাৰণৰ মন স্পৰ্শ কৰিব নোৱাৰে। তদুপৰি এই দলবোৰৰ জড়াগ্ৰস্ত হতাশাপীড়িত নেতাসকলে নতুন পুৰুষৰ আশা-আকাংক্ষাৰ লগত সকলো সম্পৰ্ক হেৰুৱাই পেলাইছে। মুঠতে সোঁ-পন্থীয়েই হওক বা বাওঁ-পন্থীয়েই হওক— ভাৰতৰ বহুধা-বিভক্ত, অনৈক্য-জৰ্জৰিত আৰু পথভ্ৰান্ত বিৰোধী দলবোৰে অদূৰ ভৱিষ্যতত ভাৰতৰ জনতাৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিব পৰা সম্ভাৱনা অন্ততঃ আমাৰ চকুত পৰা নাই। ই কেৱল বিৰোধী দলবোৰৰ কাৰণেই দুৰ্ভাগ্যৰ কথা নহয়, দুৰ্ভাগ্য সমগ্ৰ দেশৰ কাৰণেই। তথাপি আমি আশা ৰাখিছোঁ যে বৰ্তমানৰ অচলাৱস্থাৰ অৱসান ঘটাবৰ কাৰণে বিৰোধী দলবোৰে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিব। সেইটো কৰিবৰ কাৰণে প্ৰধান মন্ত্ৰীৰ চৰ্ত মানি লোৱাত তেওঁলোকৰ নৈতিক আপত্তিৰ কোনো স্থল নাই, কাৰণ আমি আৰম্ভণিতেই কৈ আহিছোঁ যে গণতন্ত্ৰত হিংসাত্মক বিক্ষোভ বা অসাংবিধানিক পন্থাৰ কোনো স্থান নাই; আলাপ-আলোচনাৰ যোগেদি শান্তিপূৰ্ণ উপায়েৰে সকলো বিৰোধৰ মীমাংসা কৰিব পৰাটোৱেই হ'ল গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য।

গণতন্ত্ৰক অৰ্থপূৰ্ণ কৰি তোলাৰ ক্ষেত্ৰত শাসক দলবো ডাঙৰ কৰ্তব্য আছে। গণতন্ত্ৰৰ এটা প্ৰধান নৈতিক ভিত্তি হ'ল এই মৌলিক বিশ্বাস যে "সকলো সত্যই পৰীক্ষাধীন, শেষ সত্য বুলি কোনো কথা নাই; অতএব কোনো মতকেই দমন কৰা উচিত নহয়।" দ্বিতীয়তে, বীৰপূজাৰ লগত গণতান্ত্ৰিক আদৰ্শৰ কোনো সংগতি নাই। শাসক দলে এইবিলাক মৌলিক কৰ্তব্য পালন কৰি গণতন্ত্ৰৰ বিকাশ সুগম কৰি তুলিব পাৰে।

নিৰ্বাচন সম্পৰ্কে গুণা-গথা

স্বৰাষ্ট্ৰ দপ্তৰৰ ৰাষ্ট্ৰমন্ত্ৰী ওম মেহতাই কৈছে যে অহা মাৰ্চ মাহত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি কিছুমান বাতৰি কাকতত যি সংবাদ প্ৰকাশিত হৈছে তাৰ মূলতে কোনো সত্যতা নাই। এই সংবাদ সম্পূৰ্ণভাৱে অনুমানপ্ৰসূত বুলি তেওঁ মন্তব্য কৰে।

ইতিপূৰ্বে 'ব্লিৎজ'ৰ কলিকতা-প্ৰতিনিধিৰ এটা ৰিপৰ্টত কংগ্ৰেছ হাইকমাণ্ডে অনতিপলমে নিৰ্বাচন পাতিবলৈ স্থিৰ কৰিছে বুলি অনুমান কৰা হৈছিল। পশ্চিমবঙ্গৰ ৰাজনৈতিক পৰিস্থিতি আলোচনা কৰাৰ সময়ত কেন্দ্ৰীয় নেতাসকলে বোলে কৈছিল যে কিছুদিনৰ ভিতৰতে নিৰ্বাচন হ'বই, আৰু মুখ্যমন্ত্ৰী সলনি কৰাতকৈ নিৰ্বাচনৰ কাৰণে প্ৰস্তুতি চলোৱাটো বেছি জৰুৰী কাম। ব্লিৎজৰ মতে সেই কাৰণতে পশ্চিমবঙ্গৰ ৰাজনৈতিক সংকট সাময়িকভাৱে সমাধান কৰা সহজ হৈছিল।

মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত ল'ব

কংগ্ৰেছৰ উৰ্দ্ধতম নেতৃবৃন্দই নিৰ্বাচনৰ বিষয়ে কি চিন্তা কৰিছে তাৰ কোনো আভাস এতিয়ালৈকে প্ৰকাশ পোৱা নাই। কোৱা বাহুল্য মাত্ৰ যে এই বিষয়ে চূড়ান্ত সিদ্ধান্ত প্ৰধান মন্ত্ৰীয়েই ল'ব। দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ যি অৱনতি ঘটাৰ কাৰণে নিৰ্বাচন স্থগিত ৰখা হৈছিল, যিবোৰ কাৰণত লোকসভাৰ কাৰ্য্যকাল বঢ়াই দিয়া হ'ল, সেই কাৰণসমূহ এতিয়া দূৰ হৈছেনে নাই সেই কথা একমাত্ৰ কেন্দ্ৰীয় চৰকাৰৰ পক্ষেহে সঠিকভাৱে সিদ্ধান্ত কৰা সম্ভৱ। বাতৰি কাকতত যি ধৰণৰ খা-খবৰ ওলাই থাকে, তাত পৰিস্থিতিৰ সামূহিক উন্নতিৰ পৰিচয় পোৱা গ'লেও নিৰ্বাচন পদ্ধতিৰ অনুকূল বাতাবৰণ সৃষ্টি হোৱাৰ কোনো ইঙ্গিত ৰাইজে এতিয়ালৈকে আবিষ্কাৰ কৰিব পৰা নাই। বৰ্তমান লোকসভাৰ বৰ্দ্ধিত ম্যাদ উকলি যোৱাৰ আগতেই নিৰ্বাচন পতা হ'ব, এনে ধৰণৰ জল্পনা-কল্পনা অৱশ্যে ৰাজনৈতিক মহলত শুনা গৈছে।

বিৰোধী দল আৰু বিনীত কণ্ঠস্বৰ

স্বয়ং প্ৰধান মন্ত্ৰীয়ে সম্প্ৰতি প্ৰায়েই বিভিন্ন ৰাজনৈতিক দল সম্বন্ধে যিবোৰ মন্তব্য স্পষ্টভাৱে ব্যক্ত কৰিছে, এই প্ৰসঙ্গত সেইবোৰৰ তাৎপৰ্য্য অনুধাবনযোগ্য। বিৰোধী দলসমূহে জাতীয় ৰাজনীতিৰ ক্ষেত্ৰত এটা আপোচ-সূত্ৰ উদ্ভাবনৰ বাবে অনুৰোধ জনাই প্ৰধান মন্ত্ৰীলৈ চিঠি লিখিছে। অৱস্থাৰ হেঁচাত পৰি বিৰোধী দলৰ নেতাসকলৰ কণ্ঠস্বৰ স্বাভাৱিকতেই বিনীত আৰু নৰমপন্থী। পৰোক্ষভাৱে ত্ৰুটি স্বীকাৰৰ ইঙ্গিতো তাত আছে। কিন্তু প্ৰধানমন্ত্ৰী তথাপি সন্তুষ্ট হোৱা নাই। প্ৰধানমন্ত্ৰীয়ে কোৱা মতে বিৰোধী দলসমূহে তেওঁলোকৰ অতীতৰ কৃতকৰ্মৰ বাবে অনুতাপ কৰাৰ লগে লগে ভৱিষ্যতে তেনে কাম নকৰোঁ বুলি প্ৰতিশ্ৰুতি দিব লাগিব। উল্লেখযোগ্য যে অন্যতম বিৰোধী নেতা জৰ্জ ফাৰ্ণাণ্ডেজ বৰোদা ডিনামাইট গোচৰত চৰকাৰৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামৰ প্ৰস্তুতি চলোৱাৰ অভিযোগত অভিযুক্ত হৈছে। গোচৰ বিচাৰাধীন, কিন্তু এই ধৰণৰ হিংসাত্মক প্ৰচেষ্টাৰ নিন্দা কৰি নৰমপন্থী বিৰোধী নেতাসকলেও এতিয়ালৈকে কোনো বিবৃতি দিয়া নাই।

বিৰোধী দলৰ সমালোচনা

মিত্ৰদল হিচাপে পৰিচিত কম্যুনিষ্ট পাৰ্টিক প্ৰধানমন্ত্ৰীয়ে প্ৰত্যক্ষভাৱে আক্ৰমণ কৰিছে। এই বিষয়ে আমি ইতিপূৰ্বে আলোচনা কৰিছোঁ। মন কৰিবলগীয়া কথা যে কম্যুনিষ্টৰ বিৰুদ্ধে এই জেহাদ ঘোষণাৰ প্ৰায় লগে লগেই প্ৰধানমন্ত্ৰীয়ে জনসংঘ, স্বতন্ত্ৰ পাৰ্টি, ভাৰতীয় লোকদল আৰু সমাজতন্ত্ৰী দলৰ বিৰুদ্ধেও অভিযোগ কৰিছে। কম্যুনিষ্ট-বিৰোধী আক্ৰমণতকৈ এই আক্ৰমণৰ তীব্ৰতা কোনো গুণেই কম নহয়। বিশেষকৈ জনসংঘ আৰু স্বতন্ত্ৰ দলৰ তীব্ৰ নিন্দা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে অতীতৰ ৰজা-মহাৰজাসকলেই বৰ্তমান স্বতন্ত্ৰ দলৰ নেতা, আৰু জনসংঘৰ পিতৃ-অনুষ্ঠান ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আৰু হিন্দু মহাসভাই প্ৰত্যক্ষভাৱে স্বাধীনতা আন্দোলনৰ বিৰোধিতা কৰিছিল। প্ৰধানমন্ত্ৰীয়ে ছচিয়েলিষ্ট পাৰ্টিৰো সমালোচনা কৰে।

কম্যুনিষ্ট দলৰ মোহভঙ্গ

প্ৰধানমন্ত্ৰীয়ে প্ৰতিটো ৰাজনৈতিক দলক পৃথক পৃথকভাৱে যি সমালোচনা কৰিছে, তাৰ তাৎপৰ্য বিশদভাৱে অনুধাৱন কৰাৰ প্ৰয়োজন আছে। কম্যুনিষ্ট পাৰ্টিয়ে এটা সমগ্ৰত জাতীয় পৰ্য্যায়ত কংগ্ৰেছৰ সৈতে নিৰ্বাচনী মৰ্চা গঠনৰ প্ৰস্তাৱ আগবঢ়াইছিল, আৰু কেৰালাৰ উপৰিও বিহাৰ, পশ্চিমবঙ্গ, উৰিষ্যাত কোৱালিচন চৰকাৰ গঠনৰ স্বপ্ন দেখিছিল। সম্প্ৰতি চি পি আই-ৰ মোহভঙ্গ হৈছে। ভাৰতৰ আভ্যন্তৰীণ ৰাজনীতিত কংগ্ৰেছ আৰু কম্যুনিষ্টৰ সম্পৰ্কৰ লগত ভাৰত -ছভিয়েট সম্পৰ্কৰ কোনো সম্পৰ্ক নাই বুলি উপদেষ্টাসকলে কংগ্ৰেছ হাইকমাণ্ডক বুজাই দিছে। কিন্তু তাৰ কাৰণে সোঁ-পন্থী বিৰোধী দলসমূহৰ উল্লাসৰ কোনো কাৰণ নাই। প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক প্ৰকাৰান্তৰে দেশৰ শত্ৰু বুলি অভিহিত কৰিছে। কম্যুনিষ্ট পাৰ্টিকে ধৰি সমুদায় বিৰোধী দলৰ বিৰুদ্ধে এই আক্ৰমণ এটা সৰ্বাত্মক ৰাজনৈতিক অভিযানৰ প্ৰস্তুতি বুলি অনুমান কৰাৰ থল আছে।

অকম্যুনিষ্ট বিৰোধী শক্তি : চৰ্তহীন আলোচনাৰ প্ৰস্তাৱ

ভাৰতীয় লোকদল, সংগঠন কংগ্ৰেছ, জনসংঘ, ডি-এম-কে আৰু ছচিয়েলিষ্ট পাৰ্টিৰ প্ৰতিনিধিসকলে এই পৰিস্থিতিত ৰাজনৈতিক স্বাভাৱিকতা ঘূৰাই আনিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে জাতীয় পৰ্যায়ত আলোচনা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। সংসদী গণতন্ত্ৰ আৰু অহিংস শান্তিপূৰ্ণ পদ্ধতিত আস্থা প্ৰকাশ কৰি চৰকাৰ, ৰাইজ আৰু বিৰোধী দলবোৰৰ বাবে প্ৰয়োজনীয় কিছু বাধ্যবাধকতাৰ প্ৰয়োজন তেওঁলোকে স্বীকাৰ কৰি লৈছে। ("…. accept certain reasonable restraints that should apply appropriately to the government, the opposition and the people")

উল্লেখযোগ্য যে ইতিপূৰ্বেও ৰাষ্ট্ৰীয় ঐক্যমতত উপনীত হ'বলৈ চেষ্টা চলিছিল। বিৰোধী দলৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ খোলাখুলি মত-বিনিময়ৰ প্ৰস্তাৱো নতুন নহয়। কিন্তু বন্দী-মুক্তি, সংবাদ-পত্ৰৰ ওপৰত বিধিনিষেধ প্ৰত্যাহাৰ ইত্যাদি বিবোৰ পূৰ্ব-চৰ্তৰ কথা ইতিপূৰ্বে শুনা গৈছিল, বৰ্তমানৰ প্ৰস্তাৱত তাৰ কোনো উল্লেখ নাই। অকম্যুনিষ্ট বিৰোধী দলসমূহৰ এজন মুখপাত্ৰ এইচ.এম. পেটেলে কয় যে ৰাজনৈতিক অচলাৱস্থা অৱসানৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা চলি আছে। 'কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনাৰ প্ৰস্তাৱ সম্পূৰ্ণভাৱে চৰ্তহীন' বুলি স্পষ্টীকৰণ দি তেওঁ কয় যে বন্দী মুক্তিৰ দাবীয়ে এই আলোচনাত অন্তৰায় সৃষ্টি কৰাৰ কাৰণ নাই।

এটা অধ্যায়ৰ সামৰণি

১৯৭৫ চনৰ জুন মাহত জৰুৰী অৱস্থা ঘোষণা কৰাৰ সময়তে প্ৰধান মন্ত্ৰীয়ে আশ্বাস দিছিল যে যতদূৰ সম্ভৱ সোনকালেই জৰুৰী অৱস্থা উঠাই লোৱা হ'ব, কাৰণ দীঘলীয়া সময়ৰ কাৰণে দেশত অস্বাভাৱিক অৱস্থা চলি থকাটো তেওঁ কামনা নকৰে। তাৰ পিছতো যোৱা ১৯ মাহৰ ভিতৰত এবাৰ তেওঁ গণতন্ত্ৰৰ প্ৰতি নিজৰ গভীৰ আনুগত্য প্ৰকাশ কৰিছে। তথাপিতো ইমান সোনকালে এনে আচম্বিতে তেওঁ লোকসভাৰ নিৰ্বাচনৰ কথা ঘোষণা কৰিব বুলি বেছিভাগ মানুহেই কল্পনা কৰিব পৰা নাছিল। শেহতীয়া সংবিধান সংশোধনৰ দ্বাৰা লোকসভাৰ কাৰ্য্যকাল দীঘলীয়া কৰাৰ ফলত নিৰ্বাচনৰ আশু-সম্ভাৱনাই স্বাভাৱিকতেই মানুহৰ মনত ঠাই পোৱা নাছিল। ইয়াৰ আগতে বাৰম্বাৰ কৰাৰ দৰে এইবাৰো প্ৰধান মন্ত্ৰীয়ে হঠাতে নিৰ্বাচন ঘোষণা কৰি নিজৰ গভীৰ অন্তৰ্দৃষ্টি আৰু নাটকীয়তাবোধৰ পৰিচয় দিছে আৰু জন-মানসত এটা চমকৰ সৃষ্টি কৰিলে। ৰাজনীতিৰ খেলত পৰিস্থিতিৰ নিৰ্ভুল বিচাৰ আমাৰ প্ৰধান মন্ত্ৰীৰ নৈপুণ্যৰ যে কোনো তুলনা নাই এই কথা আৰু এবাৰ নতুনকৈ প্ৰমাণিত হ'ল। আৰু এই কথাও প্ৰমাণিত হ'ল যে পৰিস্থিতিৰ তাগিদাত পৰি তেওঁ সাময়িকভাৱে যিহকেই নকৰক—ই গণতন্ত্ৰৰ প্ৰতি তেওঁৰ আন্তৰিক আনুগত্য আৰু সন্দেহৰ উৰ্দ্ধত।

জৰুৰী অৱস্থা সম্পূৰ্ণভাৱে উঠাই লোৱা নহ'লেও ইয়াক এতিয়া যথেষ্টভাৱে শিথিল কৰা হৈছে। সকলো ৰাজনৈতিক বন্দীকে অবিলম্বে মুক্তি দিবলৈ আদেশ দিয়া হৈছে আৰু বেছিভাগকে ইতিমধ্যে মুক্তি দিয়া হৈছে। বাতৰি কাকতৰ ওপৰত চেন্‌-চৰ ব্যৱস্থাটো সম্পূৰ্ণভাৱে উঠাই লোৱা হৈছে। মুঠতে এতিয়া এই ঘটনা-মুখৰ অধ্যায়ৰ সামৰণি পৰিছে আৰু এটা নতুন অধ্যায়ৰ সূচনা হোৱাৰ সম্ভাৱনা দেখা গৈছে।

কিছুমান কথাৰ সম্পূৰ্ণ মূল্যায়ন তাৎকালিক বিচাৰত সম্ভৱ নহয়; তাৰ কাৰণে সময়ৰ দূৰত্ব আৰু ঐতিহাসিক পৰিপ্ৰেক্ষিতৰ দৰকাৰ। ভাৰতৰ যোৱা উনৈশ মাহৰ ঘটনাৱলীৰ সঠিক মূল্যায়ন আৰু নিৰপেক্ষ বিচাৰৰ দায়িত্বও সদ্যহতে ভৱিষ্যতৰ ঐতিহাসিক সকলৰ কাৰণে এৰি থোৱাই উচিত হ'ব। কিন্তু বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত এই কথা অস্বীকাৰ কৰিবৰ উপায় নাই যে জৰুৰী অৱস্থাই জোৰকৈ জাপি দিয়া অনুশাসন আৰু তাৰ লগে লগে চলা নানা আনুষঙ্গিক চৰকাৰী কৰ্ম-কাণ্ডই দেশৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত নিশ্চয় কিছু সুফল সৃষ্টি কৰিছে। কঠিন ৰোগত আক্ৰান্ত হ'লে কড়া ঔষধ খোৱা বা আসুৰিক চিকিৎসাৰ প্ৰয়োজন হ'ব পাৰে, কিন্তু আজীৱন ঔষধ বা চিকিৎসাৰ ওপৰতে নিৰ্ভৰ কৰি চলিবলগীয়া হোৱাটো কেতিয়াও আৰোগ্য আৰু স্বাস্থ্যৰ লক্ষণ নহয়। জৰুৰী অৱস্থাৰ ঘোষণা তেনে এটা আসুৰিক চিকিৎসা বুলিয়েই আমি ধৰি লৈছোঁ। এতিয়া সেই অৱস্থা সম্পূৰ্ণভাৱে উঠি গ'লেহে জাতিৰ জীৱনলৈ স্বাভাৱিক স্বাস্থ্য ঘূৰি আহিছে বুলি আমি ক'ব পাৰিম। প্ৰধান মন্ত্ৰীয়ে তেওঁৰ যোৱা ১৮ জানুৱাৰীৰ অনাতাঁৰ ভাষণত ভাৰতীয় জনসাধাৰণৰ উচ্চ প্ৰশংসা কৰিছে। জৰুৰী অৱস্থা সম্পূৰ্ণভাৱে উঠাই লোৱাটো সম্ভৱ হ'লেই ভাৰতৰ জনতাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা আৰু আস্থা প্ৰদৰ্শন কৰা হ'ব বুলি আমি ভাবোঁ। নিন্দুকৰ মুখত চুণ সানি শ্ৰীমতী গান্ধীয়ে যিভাৱে লোকসভাৰ নিৰ্বাচন ঘোষণা কৰিলে, ঠিক সেইভাৱেই তেওঁ অচিৰে জৰুৰী অৱস্থা উঠাই ল'ব বুলি আমি আশা কৰি ৰলোঁ। সম্পূৰ্ণ গণতন্ত্ৰৰ আন কোনো বিকল্প নাই।

নিৰ্বাচন আসন্ন। চৰকাৰ-বিৰোধী দলসমূহৰ কাৰণে ই এটা অগ্নি-পৰীক্ষা। যিবোৰ ঘটনাৰ ফলত দেশত

জৰুৰী অৱস্থা ঘোষণা কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছিল, তাৰ প্ৰথম সূচনা হৈছিল বিহাৰৰ বিধান-সভা ভঙ্গ কৰি দি নতুনকৈ নিৰ্বাচন পতাৰ দাবীত। বিৰোধী দলবোৰে দাবী কৰাতকৈ পলম কৰি হ'লেও এতিয়া নিৰ্বাচনৰ যোগেদি তেওঁলোকৰ শক্তি প্ৰকাশৰ সুযোগ আহি পৰিছে। কোনো কোনো বিৰোধী নেতাই সময়ৰ কম হ'ল বুলি যি আপত্তি তুলিছে, সেইবোৰ আপত্তি যুক্তি-গ্ৰাহ্য নহয়। তেওঁলোক প্ৰকৃতাৰ্থত ঐক্যবদ্ধ হ'ব নোৱাৰা বা নিৰ্বাচনৰ কাৰণে মানসিকভাৱে প্ৰস্তুত হ'ব নোৱাৰাৰ প্ৰধান কাৰণ সময়ৰ অভাৱ নহয়; আচল কাৰণ হ'ল দলবোৰৰ মাজত ন্যূনতম আদৰ্শগত ঐক্যমত আৰু সৰ্ব-জন-মান্য প্ৰেৰণা-দায়ক নেতৃত্বৰ অভাৱ। কেৱল আনৰ গাত সঁচাই-মিছাই দোষ জাপি দিয়েই চিৰকাল নিজৰ দুৰ্বলতা ঢাকি ৰাখিব নোৱাৰি। ভাৰতত গণতন্ত্ৰৰ স্বাস্থ্যৰক্ষাৰ কাৰণে জৰুৰী অৱস্থা উঠি যোৱাটো যিমান প্ৰয়োজন, তাতোকৈ ডাঙৰ প্ৰয়োজন হ'ল সৰ্বভাৰতীয় ভিত্তিত এটা শক্তিশালী আৰু সুসংহত বিৰোধী দলৰ অভ্যুদয়। তেনে এটা দল চকুৰ আগত দেখা পালে ৰাজনীতি-সচেতন ভোটদাতাই গণতন্ত্ৰক সবল কৰি তুলিবৰ কাৰণেই নিৰ্বাচনত তেনে দলক নিশ্চয় সমৰ্থন কৰিব। প্ৰকৃতপক্ষে ভাৰতীয় গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ বিপদ আহিছে জৰুৰী অৱস্থা বা চৰকাৰী আতিশয্যৰ পৰা নহয়; সি আহিছে যোৱা ত্ৰিশ বছৰেও এটা শক্তিশালী ঐক্যবদ্ধ বিৰোধী দল গঢ়ি নুঠাৰ ফলতহে। আগন্তুক নিৰ্বাচনত বিৰোধী দলবোৰে জয়লাভ কৰি চৰকাৰ গঠন কৰিব পাৰিব বুলি কোনেও নিশ্চয় আশা নকৰে; কিন্তু যোৱা উনৈশ মাহৰ অভিজ্ঞতাই দিয়া আত্ম-সমালোচনাৰ সুযোগৰ সদ্ব্যৱহাৰ কৰি তেওঁলোকে লোকসভাত এটা সবল আৰু ঐক্যবদ্ধ বিৰোধী দল গঢ়ি তুলিব পাৰিলেও ভাৰতীয় গণতন্ত্ৰৰ প্ৰতি এটা ডাঙৰ সেৱা আগবঢ়োৱা হ'ব। কিন্তু নিৰ্বাচনৰ ঠিক আগে আগে বাহিৰক ভুৰা দিবলৈ সৃষ্টি কৰা জোৰা-টাপলি মৰা ঐক্যৰ দ্বাৰা সেই কাম কেতিয়াও সম্ভৱ নহয়।

সাহিত্য আৰু ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা

সহস্ৰ নামৰ ভিতৰত ঠিক এই মুহূৰ্তত এটা নামেই মনলৈ আহিছে। ভল্‌টেয়ৰ। ইউৰোপীয় চিন্তাৰ ইতিহাসৰ সেই বিদ্ৰোহী ওঠৰ শতিকাৰ The age of Region – যাৰ সৰ্বাধিনায়ক আছিল ভল্‌টেয়ৰ। ফাঁচীৰ কাৰণে টেম্পল্ কাৰাগাৰত বহি বহি দিন গণোতে ষষ্ঠদশ লুইয়ে ভল্‌টেয়ৰ আৰু ৰুচোৰ কিতাপবোৰ দেখি কৈছিল ঃ "এই দুটা মানুহেই ফ্ৰান্সক ধ্বংস কৰিলে।" ফ্ৰান্স মানে ষষ্ঠদশ লুইয়ে বুজাইছিল মদগৰ্বী আৰু অত্যাচাৰী স্বৈৰাচাৰ। ভল্‌টেয়ৰৰ মৃত্যুৰ পিছত তেওঁৰ শবাধাৰত লিখা হৈছিল ঃ "কবি, দাৰ্শনিক, ঐতিহাসিক তেওঁ মানুহৰ বুদ্ধিক দিছিল উৰিবৰ কাৰণে ডেউকা। তেওঁ আমাক প্ৰস্তুত কৰিছিল স্বাধীনতাৰ কাৰণে।" এনেহেন ভল্‌টেয়ৰেও ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা গ্ৰহণ কৰিছিল। ওঠৰ শতিকাৰ ইউৰোপৰ কাৰণে ফ্ৰেডেৰিক ডা গ্ৰেট আছিল প্লেটোৰ কল্পিত আদৰ্শৰ দাৰ্শনিক সম্ৰাট। সেই ফ্ৰেডেৰিক ডা গ্ৰেট সুদীৰ্ঘ চৌবিশ বছৰ ধৰি ভল্‌টেয়ৰৰ প্ৰতি প্ৰেম আৰু শ্ৰদ্ধাত অভিভূত হৈ আছিল; তেওঁ ঘোষণা কৰিছিল যে ভল্‌টেয়ৰ আছিল সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভা। ভল্‌টেয়ৰক অদেয় তেওঁৰ একো নাছিল। ভল্‌টেয়ৰেও তেওঁক এনে নিৰ্লজ্জভাৱে তোষামোদ কৰিছিল যে মানুহৰ বুদ্ধিক উৰিবৰ কাৰণে ডেউকা দিয়া আৰু মানৱ মনক স্বাধীনতাৰ কাৰণে প্ৰস্তুত কৰা ভল্‌টেয়ৰৰ এনে মো-চাহেবী ৰূপ দেখি মানৱ-চৰিত্ৰৰ দুৰ্বোধ্যতাৰ সমুখত বিস্মিত হোৱাৰ বাহিৰে আন একো উপায় নাথাকে।

শাসকসকলে প্ৰতিভা চিনি পায়। প্ৰতিভাৰ প্ৰতিযোগিতাও বুজি পায়। ফ্ৰান্সৰ যুৱৰাজৰ বিবাহ উপলক্ষে ভল্‌টেয়ৰক এখন নাটক লিখিবলৈ নিয়োগ কৰা হ'ল। আৰু নাটকখন মঞ্চস্থ কৰাৰ তদাৰকী কৰিবলৈ তেওঁক ৰাজ প্ৰাসাদৰ এটা সৰু কোঠাত তেওঁক অস্থায়ীভাৱে থাকিবলৈ দিয়া হ'ল। সেই কোঠালিটিৰ কাষতে আছিল ৰাজ প্ৰসাদৰ ছুইচ্-গাৰ্ডসকলৰ পায়খানা। অহৰহ এই পায়খানাৰ দুৰ্গন্ধ সেৱন কৰি ভল্‌টেয়ৰে ৰজা-ৰাণীৰ প্ৰশস্তি-গাথা ৰচনা কৰিলে। কিন্তু তেওঁৰ যিবোৰ ৰচনাই মানুহৰ মনোৰাজ্যত লিছ্‌বনৰ ভূমিকম্পতকৈয়ো ডাঙৰ ভূমিকম্পৰ সৃষ্টি কৰিছিল, সেইবোৰ ৰচনাৰ কাৰণে তেওঁ বাৰম্বাৰ ৰাজৰোষৰ পৰা পলাই দেশ-বিদেশত আশ্ৰয় বিচাৰিব লগা হৈছিল। ফৰাচী সম্ৰাটৰ প্ৰাসাদৰ পায়খানা-সংলগ্ন কোঠাত বা ফ্ৰেডেৰিক দ্য গ্ৰেটৰ ৰাজসভাত তেতিয়া তেওঁৰ কাৰণে কোনো স্থান নাছিল।

ষ্টেলিনৰ সাহিত্য-অনুৰাগ আৰু অধ্যয়নৰ কোনো তুলনা নাছিল। আধুনিক কালৰ শাসকসকলৰ ভিতৰত ষ্টেলিনৰ সমান কিতাপ পঢ়া মানুহ দ্বিতীয় এজন বোধহয় কোনো নাছিল। সেই ষ্টেলিনৰ আমোলত পৃথিৱীৰ মহত্তম ঔপন্যাসিক ডষ্টয়েভস্কিৰ কিতাপ সৰ্বসাধাৰণৰ কাৰণে নিষিদ্ধ কৰি দিয়া হৈছিল। অথচ ব্যক্তিগত আলাপ-আলোচনাত তেওঁ সদায় স্বীকাৰ কৰিছিল যে ডষ্টয়েভস্কি আছিল এজন অতি মহৎ লেখক। ষ্টেলিনৰ মৃত্যুৰ পিছতহে ৰাছিয়াৰ নতুন চামৰ মানুহে ডষ্টয়েভস্কিৰ কাৰণে পাগল হৈ পৰিল।

এইবোৰ উদাহৰণৰ মূল শিক্ষা এয়েই যে প্ৰকৃত লেখকৰ কাৰণে ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা কেতিয়াও নিৰ্ভৰযোগ্য নহয়। ভল্টেয়ৰে ইচ্ছা কৰিলেই তেওঁৰ পৃষ্ঠপোষকক নিষ্ঠুৰভাৱে ব্যংগ কৰি কবিতা লিখিব পাৰে, ডিডেৰোৱে তৰ্কৰ উত্তেজনাত দুৰ্ধৰ্ষ কেথেৰিন দ্য গ্ৰেটৰ আঁঠুতেই ভুকু মাৰি দিব পাৰে, গ্যেটেই

তেওঁৰ অলিম্পিয়ান বিৰাটত্বৰে ভাইমাৰৰ ডিউকক বাওনা কৰি ৰাখিব পাৰে, পাষ্টেৰনাকে শাসকৰ ৰঙা চকুলৈ ভ্ৰূক্ষেপ নকৰি নিজৰ চিন্তাৰ স্বাধীনতাৰ কাৰণে চৰম নিৰ্যাতন আৰু নিঃসংগতা বৰণ কৰি ল'ব পাৰে; কিন্তু সাধাৰণ লেখকৰ কাৰণে ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা বিষতুল্য। শাসকসকলৰ উদ্দেশ্য সদায় অসৎ নহ'বও পাৰে; সম্ৰাট আৰু সমাজবাদী নিৰ্বিশেষে তেওঁলোকৰ বহুতৰে সাহিত্যানুৰাগৰ মূলতে থাকিব পাৰে গভীৰ মানবপ্ৰীতি। কিন্তু জাৰ্মান পণ্ডিত থিয়োডৰ হেন্‌কেই বিশ্লেষণ কৰি দেখুওৱাৰ দৰে সদায় স্থিতাৱস্থা ৰক্ষা কৰি চলাটোৱেই হ'ল ক্ষমতাত অধিষ্ঠিত লোকসকলৰ স্বাভাৱিক প্ৰৱণতা। আনহাতে স্বাধীন চিন্তাশীল লেখক আৰু দাৰ্শনিকৰ কৰ্তব্য হ'ল সদায় স্থিতাৱস্থাক অতিক্ৰম কৰি নিত্য-নব উৰ্ধতৰ লক্ষ্যৰ উদ্দেশ্যে মানুহৰ অভীপ্সা আৰু কল্পনাক উদ্দীপিত কৰি ৰখা। মানুহৰ যাত্ৰাপথ অন্তহীন। মানুহক চিৰ-অতৃপ্ত আৰু চিৰ-অশান্ত কৰি ৰখাটোৱেই হ'ল শিল্পী, লেখক আৰু দাৰ্শনিকৰ পবিত্ৰতম কৰ্তব্য। মানৱ-দৰদী লেখক আৰু মানৱ-দৰদী শাসকৰ মাজত এটাই মাত্ৰ ডাঙৰ পাৰ্থক্য আছে। চৰকাৰ মানেই বৈষয়িক ক্ষমতা, আৰু ক্ষমতাৰ ধৰ্ম হ'ল স্থিতাৱস্থাৰ সংৰক্ষণ। সাহিত্যৰ ধৰ্ম হ'ল আধ্যাত্মিক শক্তি, আৰু লেখকৰ ধৰ্ম হ'ল স্থিতাৱস্থাক বাৰম্বাৰ অতিক্ৰম কৰি মানুহৰ অন্তহীন সম্ভাৱনাৰ কল্পলোকলৈ দুঃসাহসী উত্তৰণ। এই দুয়োটাৰ মাজত কোনো কালেই আপোচ হোৱা সম্ভৱ নহয়, হোৱা উচিত নহয়। এই সত্যটো উপলব্ধি কৰিব নোৱৰা লোকসকলে কেতিয়াও বুজিব নোৱাৰিব মাডাম দ্য ষ্টেলৰ সেই বিখ্যাত উক্তি : 'Intellect does not attain its full force unless it attacks power.'

আৰু দুদিনৰ পিছত অভয়াপুৰীত অনুষ্ঠিত হ'ব অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন। সাহিত্য সভাত চৰকাৰী পৃষ্ঠপোষকতা দিনে দিনে বাঢ়ি আহিছে, অভয়াপুৰীতো নিশ্চয় দেখা যাব তাৰ পূৰ্ণ পয়োভৰ। এই প্ৰসংগতে মনত পৰিছে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ এষাৰ উক্তি। কেইদিনমান আগতে শিল্পী শ্ৰীহেমন্ত মিশ্ৰৰ এখন একক চিত্ৰ প্ৰদৰ্শনী গুৱাহাটীত উদ্বোধন কৰি তেওঁ কৈছিল যে আজিকালি মন্ত্ৰীসকলৰ ভূমিকা হ'ল বামুণ পুৰোহিতৰ নিচিনা। বিয়াই-সবাহে এসময়ত যেনেকৈ পুৰোহিত নহ'লেই নহৈছিল, নিজে একো নাজানি-নুবুজিও ভাটোৰ নিচিনাকৈ সংস্কৃত শ্লোক মাতিয়েই তেওঁ নিজৰ কাম সমাধা কৰিছিল, ঠিক তেনেকৈ মন্ত্ৰীয়ে শিল্প-সাহিত্যৰ বিষয়ে কিবা জানক বা নাজানক, তেনেবোৰ অনুষ্ঠানলৈ আজিকালি মন্ত্ৰীক নাটানিলেই নহয়। বিজ্ঞানীৰ সভাত বিজ্ঞানীতকৈ বা সাহিত্যিকৰ সভাত সাহিত্যিকতকৈ মন্ত্ৰীৰ বক্তৃতাহে বাতৰি কাকততো বেছি বহলাই আৰু ডাঙৰ ডাঙৰ হৰফেৰে প্ৰকাশ পায়। শৰৎ চন্দ্ৰ সিংহ সৎ ব্যক্তি, কোমল কটাৰীৰে কটাৰ দৰে তেওঁ শিল্পী-সাহিত্যিকসকলক কেইষাৰমান সজ কথা শুনাই দিছে। আমাৰ শিল্পী-সাহিত্যিকসকলে তেওঁৰ কথাৰ নিহিতাৰ্থ উপলব্ধি কৰিবলৈ কেতিয়াও যত্ন নকৰিবনে?

দেশৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতাৰ নিশ্চয় প্ৰয়োজন আছে। কিন্তু তাৰ ক্ষেত্ৰ, প্ৰকৃতি আৰু সীমাৰেখা সকলোৱেই মনত ৰাখি চলা উচিত। সকলো শাসকেই আলেকজেণ্ডাৰ নহয় যে ডায়োজিনিছৰ ঔদ্ধত্যৰ সমুখত থিয় হৈ তেওঁ ক'ব পাৰিব : "মই যদি আলেকজেণ্ডাৰ নহ'লোহেঁতেন, তেন্তে মই ডায়োজিনিছ হ'বলৈ বিচাৰিলোহেঁতেন।" সকলো লেখকেই ডায়োজিনিছ নহয় যে সমুখত দণ্ডায়মান বিশ্ববিজয়ী আলেকজেণ্ডাৰলৈ ভ্ৰূক্ষেপ নকৰি তেওঁ ক'ব পাৰিব : "মই তোমাৰ পৰা একো নিবিচাৰোঁ; কেৱল তুমি অলপ আঁতৰি দি মোৰ গাত ৰ'দ পৰিবলৈ দিয়া?"

ফখৰুদ্দিন আলি আহমেদ

মৃত্যুৰ অনিবাৰ্য্যতাক মানি লৈয়ো প্ৰিয়জনৰ বিয়োগত ব্যথিত নোহোৱাকৈ থকাটো মানুহৰ স্বভাৱৰ পক্ষে অসম্ভৱ। ফখৰুদ্দিন আলি আহমদৰ মৃত্যুৱে সমগ্ৰ দেশজুৰি গভীৰ আৰু অকৃত্ৰিম শোকৰ ছাঁ পেলাইছে। কিন্তু অসমৰ কাৰণে এই মৃত্যু পিতৃ-বিয়োগৰ দৰেই এটা গভীৰ শূন্যতাকাৰী অভিজ্ঞতা। সুদীৰ্ঘ দুকুৰি বছৰ ধৰি অসমৰ ৰাজহুৱা জীৱনৰ প্ৰতিটো অংগই তেওঁৰ সেৱাৰ স্পৰ্শ অনুভৱ কৰিছিল, তেওঁৰ কৰ্ম-সাধনাৰ নানা সুফল লাভ কৰিছিল, তেওঁৰ বহুমুখী ব্যক্তিত্বৰ প্ৰভাৱ অনুভৱ কৰিছিল। দেশৰ মুক্তি সংগ্ৰামৰ অন্যতম নায়কৰূপে তেওঁৰ জীৱন-কাহিনী ইতিমধ্যেই ইতিহাসত পৰিণত হৈছে। যি ধৰ্ম-নিৰপেক্ষতাৰ আদৰ্শ আজি আধুনিক ভাৰতৰ অন্যতম মহতী কীৰ্তি হিচাপে পৰিগণিত হৈছে, তাৰ কৃতিত্বৰ দাবীদাৰসকলৰ ভিতৰত তেওঁৰ নামো সৰ্বাগ্ৰগণ্য। ইতিহাসে এইবোৰ কথা নিশ্চয় শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে চিৰকাল স্মৰণ কৰিব। কিন্তু ভাৰতৰ ইতিহাসত যদি তেওঁ কেৱল বহুজনৰ মাজত এজন, অসমৰ ইতিহাসত তেওঁ এটা সম্পূৰ্ণ অধ্যায় জুৰি আছে। দেশৰ স্বাধীনতা-সংগ্ৰামত যোগ দি তেওঁ সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে যি জেহাদ্ ঘোষণা কৰিছিল আৰু তাৰ কাৰণে অশেষ দুখ-লাঞ্ছনা বৰণ কৰি লৈছিল, সি অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনক এটা সুকীয়া ৰূপ দিলে। ১৯৩৭ চনত অসমৰ প্ৰথম কংগ্ৰেছ-সংযুক্ত মন্ত্ৰীসভাত যোগ দিয়াৰ দিন ধৰি মৃত্যুৰ মুহূৰ্তলৈকে তেওঁ অসমৰ জাতীয় জীৱনৰ এটা প্ৰধান শক্তি-স্তম্ভ হৈ আছিল। অসমত বিশ্ববিদ্যালয় স্থাপন, অসমীয়া ভাষাক ৰাজ্যভাষাৰ মৰ্যাদা দান, অসমত খেলা-ধূলাৰ উন্নতিৰ কাৰণে অনুকূল পৰিবেশ সৃষ্টি—এই সকলোবোৰ ক্ষেত্ৰতে তেওঁৰ অৱদান আছিল অতুলনীয়। তেওঁৰ প্ৰশান্ত ব্যক্তিত্ব আৰু প্ৰজ্ঞাই অসম তথা ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত এক বিৰল মাধুৰ্যৰ সঞ্চাৰ কৰিছিল। অসমৰ নতুন চামৰ নেতাসকলৰ জীৱন তেওঁৰ প্ৰাজ্ঞ অভিভাৱকৰ ছত্ৰছায়াত বিকশিত হৈছিল। অৱশেষত তেওঁ নিজৰ ত্যাগ, সেৱা আৰু প্ৰতিভাৰ বলত ৰাষ্ট্ৰৰ সৰ্বোচ্চ পদ লাভ কৰি সমগ্ৰ অসমবাসীকেই গৌৰৱান্বিত কৰি থৈ গ'ল, অসমীয়া জাতিৰ মনত সঞ্চাৰিত কৰি থৈ গ'ল এক নতুন আত্ম-প্ৰত্যয় আৰু গৰিমা-বোধৰ অনুভূতি। তেওঁ আছিল সৰ্বশ্ৰেষ্ঠ অসমীয়াসকলৰ অন্যতম—যাক লৈ অসমীয়া জাতিয়ে চিৰকাল গৌৰৱ কৰি থাকিব।

ফখৰুদ্দিন আলি আহমদৰ নাম মনলৈ আহিলেই প্ৰথমেই যিটো কথা অৱধাৰিতভাৱে সকলোৰে মনলৈ আহে, সেইটো হৈছে এই যে তেওঁ আছিল এজন Great Gentleman – মহান সজ্জন। আবুল কালাম আজাদৰ বিষয়ে এটা কথা প্ৰচলিত আছে যে চৰমতম প্ৰৰোচনাৰ মুহূৰ্ততো তেওঁৰ মুখত কেতিয়াও এষাৰো ক্ৰুদ্ধ বা অশিষ্ট কথা শুনা নগৈছিল। ফখৰুদ্দিন আলি আহমদ আছিল সেই বিৰল আৰু অধুনা-বিলুপ্ত-প্ৰায় সজ্জন-শ্ৰেণীৰ এটি উজ্জ্বল ৰত্ন। যি সদাচাৰ আৰু শিষ্ট-ভাষণ সাংস্কৃতিক উৎকৰ্ষৰ পৰিচায়ক, সম্প্ৰতি আমাৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত তাৰ অভাৱ ঘটা দেখা গৈছে। তাৰ ঠাই লৈছে স্থূলতা, ৰূঢ়তা আৰু অসহিষ্ণুতাই। ৰাজহুৱা জীৱনত ফখৰুদ্দিন আলি আহমদৰ এই মহৎ আদৰ্শ অনুসৰণ কৰিব পাৰিলেহে আমি তেওঁৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা দেখুওৱাৰ অধিকাৰ লাভ কৰিব পাৰিম।

ফখৰুদ্দিন আলি আহমদৰ মৃত্যুৱে আমাৰ সকলোকে বেদনাত অভিভূত কৰিছে, সকলোৰে মনত স্বতঃস্ফূৰ্তভাৱে জাগি উঠিছে অকৃত্ৰিম শ্ৰদ্ধা আৰু কৃতজ্ঞতা। কিন্তু কেৱল তাতেই ক্ষান্ত নাথাকি জন-মানসত তেওঁৰ প্ৰিয়-স্মৃতিৰ বহিঃপ্ৰতীক স্বৰূপে কিবা এটা বাস্তৱ ব্যৱস্থা লোৱাৰ কথাও এতিয়াই চিন্তা কৰা প্ৰয়োজন। অসমৰ যিবোৰ অনুষ্ঠানৰ লগত তেওঁৰ হৃদয়ানুভূতি আৰু কৰ্ম-সাধনা নিবিড়ভাৱে জড়িত হৈ আছিল তাৰে যি কোনো এটা অনুষ্ঠান তেওঁৰ নামেৰে নামকৰণ কৰাৰ কথা চৰকাৰ আৰু ৰাইজ উভয়ে চিন্তা কৰি চাব পাৰে। তাৰ লগতে তেওঁৰ এখন পূৰ্ণাংগ জীৱন-চৰিত ৰচনাৰ কামো এতিয়াই আৰম্ভ কৰা উচিত বুলি আমি বিবেচনা কৰোঁ—যাতে তেওঁৰ প্ৰথম মৃত্যু-বাৰ্ষিকীৰ সময়ত সেইখনকে আমি আমাৰ শ্ৰদ্ধা-তৰ্পণ হিচাপে আগবঢ়াব পাৰোঁ।

সাপ্তাহিক নীলাচল, ৪২০ সংখ্যা : ৯ মার্চ, ১৯৭৭ চন

যি নিৰ্বাচনে বহু বছৰলৈ দেশৰ ভৱিষ্যত নিৰ্ণয় কৰিব

এইবাৰৰ নিৰ্বাচন যে গতানুগতিক সাধাৰণ নিৰ্বাচন নহয়, সেই কথা শাসক দল আৰু বিৰোধী উভয় পক্ষই স্বীকাৰ কৰিছে। কি অৰ্থত কি কাৰণে এইবাৰৰ নিৰ্বাচন বিশেষভাৱে গুৰুত্বপূৰ্ণ আৰু অতীতৰ আনবোৰ নিৰ্বাচনতকৈ বেলেগ, সেই কথা ভোটদাতাসকলে গভীৰভাৱে চিন্তা কৰি চোৱা উচিত।

আগন্তুক নিৰ্বাচনৰ আটাইতকৈ ডাঙৰ তাৎপৰ্য্য হ'ল এইটোৱেই যে স্বাধীন ভাৰতত এই প্ৰথমবাৰৰ কাৰণে নিৰ্বাচনী যুদ্ধখন প্ৰধানকৈ দুটা পক্ষৰ মাজত সংঘটিত হৈছে। আগতে নিৰ্বাচনী ৰণ-থলীত অসংখ্য দল-উপদল থকাৰ কাৰণে ৰাইজৰ অৱস্থা হৈছিল অধিক মাছত বগলী কণা হোৱাৰ নিচিনা। এইবাৰ কিন্তু খোলা চকুৰে পৰিষ্কাৰকৈ চাই তেওঁলোকে মাত্ৰ দুটা দলৰ মাজত যিকোনো এটাক বাছি ল'বলৈ সুযোগ পাইছে।

কিন্তু বহুতো দল-উপদলৰ ঠাইত মাত্ৰ দুটা দল থকাৰ কাৰণেই এই নিৰ্বাচন অসাধাৰণভাৱে গুৰুত্বপূৰ্ণ নহ'লহেঁতেন—যদিহে দুয়োটা দলে সমানেই শক্তিশালী নহ'লহেঁতেন আৰু তাৰ ফলত জয়-পৰাজয় অনিশ্চিত হৈ নুঠিলহেঁতেন। ইয়াৰ আগতে কোনো এটা নিৰ্বাচনতেই কংগ্ৰেছ যে (অন্ততঃ কেন্দ্ৰত) ক্ষমতা-চ্যুত হ'ব পাৰে এনে ধাৰণা মানুহে কল্পনাতো ঠাই দিয়া নাছিল। নিৰ্বাচন হ'লে কংগ্ৰেছ জয়ী হ'বই—ই এটা স্বতঃসিদ্ধ কথা আছিল। বিৰোধী দলবোৰে কেইখন আসন বেছিকৈ পাব বা কেনেকৈ পাব এইটোৱেই আছিল একমাত্ৰ কৌতূহলোদ্দীপক প্ৰশ্ন। আৰু যিহেতু নিৰ্বাচনৰ ফলাফল ঘোষিত হোৱাৰ আগতেই কংগ্ৰেছৰ জয় সুনিশ্চিত হৈ আছিল গতিকে নিৰ্বাচনৰ পৰৱৰ্তী ৰাজনৈতিক পৰিস্থিতিত জনসাধাৰণৰ কোনো কৌতূহল নাছিল। যি কংগ্ৰেছ শাসনৰ লগত দেশৰ জনসাধাৰণ স্বাধীনতা লাভৰ মুহূৰ্তৰ পৰাই অভ্যস্ত হৈ আহিছে, সেই কংগ্ৰেছ শাসনৰ পৰা কোনো বিস্ময় বা বৈচিত্ৰ্য তেওঁলোকে স্বাভাৱিকতেই আশা কৰা নাছিল। কংগ্ৰেছ চৰকাৰো থাকিব, অভ্যস্ত জীৱনধাৰাও একে গতিৰে চলি থাকিব—এয়েই আছিল জনসাধাৰণৰ বিশ্বাস।

ত্ৰিশ বছৰৰ মূৰত প্ৰথম বাৰৰ কাৰণে অৱস্থাৰ নাটকীয় পৰিবৰ্তন ঘটিছে। এইবাৰৰ কাৰণে নিৰ্বাচনৰ আগমুহূৰ্তত কংগ্ৰেছ চৰকাৰৰ প্ৰধানমন্ত্ৰী আৰু কংগ্ৰেছ সভাপতিয়ে ৰাজহুৱাভাৱে ঘোষণা কৰিব লগা হ'ল : "নিৰ্বাচনত ৰাইজৰ ৰায় আমি মানি ল'ম"; "নিৰ্বাচনত পৰাস্ত হ'লে আমি ৰাষ্ট্ৰপতি অনুগত বিৰোধী পক্ষৰ ভূমিকা গ্ৰহণ কৰিম"; লোকসভাৰ নিৰ্বাচনত কংগ্ৰেছ পৰাস্ত হ'ব পাৰে, কংগ্ৰেছৰ বাহিৰে আন এটা দলে কেন্দ্ৰত চৰকাৰ গঠন কৰিব পাৰে, এনেকুৱা এটা সম্ভাৱনা কল্পনা কৰাটোও ভাৰতৰ জনসাধাৰণৰ কাৰণে এটা ৰোমাঞ্চকৰ অভিজ্ঞতা। তেওঁলোকে প্ৰথম বাৰৰ কাৰণে সেই অভিজ্ঞতাৰ সোৱাদ পাইছে। নিৰ্বাচনক কেন্দ্ৰ কৰি দেশজুৰি হোৱা অভূতপূৰ্ব উত্তেজনা আৰু গণ-জাগৰণৰ সিয়েই প্ৰধান কাৰণ।

প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীয়ে যেতিয়া কয় যে আগন্তুক নিৰ্বাচন বহু দিশৰ পৰাই ঐতিহাসিক আৰু নিৰ্ণয়াত্মক, তাৰ দ্বাৰাই তেওঁ এই কথাকে বুজাব খোজে যে এই নিৰ্বাচনত কেন্দ্ৰীয় চৰকাৰৰ সাল-সলনি পৰ্যন্ত হৈ যাব পাৰে। সেই কাৰণে তেওঁ অনুভৱ কৰে যে গভীৰভাৱে চিন্তা নকৰাকৈ দেশৰ জনসাধাৰণে এনে এটা সুদূৰপ্ৰসাৰী সম্ভাৱনাপূৰ্ণ সিদ্ধান্ত লোৱা উচিত নহয়।

স্পষ্টতঃ দেশ আজি ইতিহাসৰ এক সন্ধিক্ষণত উপনীত হৈছে। আগন্তুক নির্বাচনে বহু বছৰৰ কাৰণে দেশৰ ভৱিষ্যত নির্ণয় কৰিব। কিন্তু সেই ভৱিষ্যত তাত্ত্বিক বা বিমূর্ত ভৱিষ্যত নহয়; সি ভাৰতৰ প্ৰত্যেকজন পুৰুষ-তিৰোতাৰ জীৱন্ত ভৱিষ্যত। আন কথাত ক'বলৈ গ'লে, এইবাৰ ভোটদাতাসকলে নিজৰ নিজৰ ভোটৰ দ্বাৰাই প্ৰতিদ্বন্দ্বী দল দুটাৰ জয়-পৰাজয় নির্ণয় কৰাতকৈ নিজৰ ভৱিষ্যতহে নির্ণয় কৰি ল'ব। তেওঁলোকে যদি কংগ্ৰেছক জয়যুক্ত কৰে, তেন্তে এক ধৰণৰ ভৱিষ্যত তেওঁলোকৰ কাৰণে অপেক্ষা কৰি আছে; যদি বিৰোধী দলক জয়যুক্ত কৰে, তেন্তে আন এক ধৰণৰ ভৱিষ্যতে তেওঁলোকৰ কাৰণে অপেক্ষা কৰি আছে। সেই ভৱিষ্যতৰ ৰূপ অতি স্পষ্ট, তাত কোনো অস্পষ্টতা নাই, কাৰণ দুয়োটা প্ৰতিদ্বন্দ্বী দলেই দুটা সম্পূর্ণৰূপে পৰস্পৰ-বিৰোধী ৰাজনৈতিক ব্যৱস্থা আৰু জীৱন-ধাৰণৰ ছবি ৰাইজৰ আগত ডাঙি ধৰিছে। ৰাইজে দঁকৈ ভাবি-চিন্তি আৰু নিজৰ সমস্ত বিচাৰ-শক্তি প্ৰয়োগ কৰি তাৰে যি কোনো এটাক বাছি ল'ব লাগিব।

উদাহৰণ স্বৰূপে ৪২ নং সংশোধনীৰ দ্বাৰা ১৯৭৬ চনত সংবিধানৰ যি আমুল পৰিবর্তন ঘটোৱা হ'ল কংগ্ৰেছে পুনৰ ক্ষমতা পালে সেই সংশোধিত সংবিধান অটুট থাকিব। বৰং সংবিধানৰ আৰু বেছি সংশোধন ঘটাবলৈকো চেষ্টা কৰা হ'ব। আইনমন্ত্ৰী গোখলেই এতিয়াই তাৰ আগজাননী দি থৈছে। কংগ্ৰেছে এই সংশোধিত সংবিধানখনকেই ৰাইজৰ আগত দাঙি ধৰি তেওঁলোকৰ সমর্থন প্ৰাৰ্থনা কৰিছে। তাত অস্পষ্টতা, লুকা-চুৰি বা ভণ্ডামিৰ কোনো স্থান নাই। কংগ্ৰেছে স্পষ্টকৈ দেশবাসীক জনাই দিছে যে এই নির্বাচনৰ পিছত পুনৰ তেওঁলোক ক্ষমতালৈ আহিলে সংবিধানৰ ৪২ নং সংশোধনীৰ দ্বাৰাই দেশখন শাসিত হ'ব, অর্থাৎ – (১) প্ৰয়োজনবোধ হ'লে কোনো কাৰণ নেদেখুৱাকৈ মানুহক গ্ৰেপ্তাৰ কৰা হ'ব আৰু বিনা বিচাৰে তেওঁক ফাটেকত ভৰাই থোৱা হ'ব। আদালতে এই কথাত হস্তক্ষেপ কৰিব নোৱাৰিব। (২) চৰকাৰে যিবোৰ কথা আপত্তিজনক বুলি বিবেচনা কৰে তেনেবোৰ কথা বাতৰি কাকতে প্ৰকাশ কৰিব নোৱাৰিব। অর্থাৎ ১৯৫০ চনত ভাৰতীয় সংবিধানে বাতৰি কাকতক যি স্বাধীনতা দিছিল, সেই স্বাধীনতা ১৯৭৬ চনত কাঢ়ি লোৱা হ'ল; (৩) 'ফিৰোজ গান্ধী আইন' নামেৰে জনাজাত যিখন আইনৰ বলত বাতৰি কাকতবোৰে সংসদ আৰু বিধান সভাবোৰৰ কার্য-বিৱৰণী মুকলিভাৱে প্ৰকাশ কৰিব পাৰিছিল এই বাতৰি কাকতে সেইটো কৰিব নোৱাৰে আৰু ভৱিষ্যতেও নোৱাৰিব—অর্থাৎ জনসাধাৰণে নির্বাচনৰ যোগে বাছি পঠোৱা প্ৰতিনিধিসকলে সংসদত কি আলোচনা-বিলোচনা কৰে সেইবোৰ কথা সম্পূর্ণভাৱে জানিবলৈ জনসাধাৰণৰ একো অধিকাৰ নাথাকিব। ১৯৫০ চনত ভাৰতৰ সংবিধানে ন্যায়-পালিকাত যিখিনি স্বাধীনতা দিছিল এতিয়া সেই স্বাধীনতা নাই আৰু ভৱিষ্যতেই নাথাকিব ইত্যাদি। জনসাধাৰণে যদি কংগ্ৰেছৰ হাততেই আকৌ শাসন-ক্ষমতা অৰ্পণ কৰিব খোজে, তেন্তে এই কথা সম্পূর্ণভাৱে জানি-বুজিয়েই কৰিব লাগিব যে বিনা বিচাৰে মানুহক ফাটেকত ভৰাই থোৱা আৰু ন্যায়পালিকা আৰু বাতৰি কাকতৰ স্বাধীনতা খৰ্ব কৰাৰ বিৰুদ্ধে তেওঁলোকৰ কোনো আপত্তি নাই; নিজৰ আৰু দেশৰ মংগল হ'ব বুলি অনুভৱ কৰি তেওঁলোকে জানি-বুজি আৰু স্বেচ্ছাই এইবোৰ নাগৰিক অধিকাৰ বিসর্জন দিছে।

আনহাতে বিৰোধী পক্ষই স্পষ্টভাৱে ঘোষণা কৰিছে যে তেওঁলোকে শাসন ক্ষমতা পালে সর্বপ্ৰথমেই সংবিধানৰ ৪২ নং সংশোধনী বাতিল কৰি দিব – অর্থাৎ দেশৰ পৰা বিনা বিচাৰে মানুহক ফাটেকত ভৰাই থ'ব পৰা ব্যৱস্থা নোহোৱা হ'ব, চৰকাৰৰ সিদ্ধান্ত আৰু সংসদৰ আইনবোৰ পৰীক্ষা কৰি চোৱাৰ ক্ষমতা ন্যায়পালিকাই ঘূৰাই পাব, চৰকাৰে কোনোবা মানুহক জেললৈ পঠালে তেওঁ আদালতত আপিল কৰাৰ

ক্ষমতা ঘুৰাই পাব, দেশৰ বাহিৰে ১৯৭৫ চনৰ আগভাগলৈকে যেনে ধৰণৰ বাতৰি কাকত পঢ়িবলৈ পাইছিল তেনে ধৰণৰ বাতৰি কাকত পুনৰ পঢ়িবলৈ পাব ইত্যাদি।

কংগ্ৰেছ চৰকাৰে দেশবাসীক যি ধৰণৰ নাগৰিক অধিকাৰ সম্প্ৰতি দিছে আৰু ভবিষ্যতলৈকো দিব, সেই কথা দিবালোকৰ দৰেই স্পষ্ট। বিৰোধী পক্ষই চৰকাৰ গঠন কৰিব পাৰিলে কি ধৰণৰ নাগৰিক অধিকাৰ দিবলৈ প্ৰতিশ্ৰুতি দিছে, সেই কথাও স্পষ্ট। এতিয়া জনসাধাৰণে স্থিৰ কৰিব লাগিব— এই দুই ধৰণৰ নাগৰিক অধিকাৰৰ ভিতৰত কোনটো তেওঁলোকে বিচাৰে। স্থিৰ কৰিব লাগিব আৰু সেই অনুসাৰেই নিৰ্বাচনত ভোট দিব লাগিব। বিষয়টো ইমান সহজ-সৰল যে তাৰ কাৰণে কোনো বুজনি বা প্ৰচাৰৰ প্ৰয়োজন নাই, প্ৰত্যেকজন নাগৰিকেই নিজৰ অভিলা আৰু অভিজ্ঞতাৰ মাপকাঠিৰে নিজৰ সিদ্ধান্ত ঠিক কৰিব লাগিব। নিজৰ ভৱিষ্যত আৰু জীৱনধাৰা বাছি ল'ব লাগিব।

নিৰ্বাচনৰ গোটেই বিষয়টোৰ ওপৰত অতি বেছি ধৰণে সৰলীকৃত কৰা যেন লাগিব পাৰে, কিন্তু প্ৰকৃতপক্ষে প্ৰতিদ্বন্দ্বী দুয়োটা দলেই এইবাৰ তেওঁলোকৰ বক্তব্য আৰু প্ৰতিশ্ৰুতি অতি সৰলভাৱেই দেশবাসীৰ আগত উত্থাপন কৰিছে। অৰ্থনৈতিক কাৰ্য্যসূচী বাদ দি নিৰ্বাচনী বিতৰ্ক হ'ব নোৱাৰে যদিও এইবাৰৰ নিৰ্বাচনত স্পষ্টভাৱে ৰাজনৈতিক বিষয়বোৰে প্ৰাধান্য পাইছে, তাৰ তুলনাত অৰ্থনৈতিক বিষয়বোৰৰ স্থান নিতান্তই গৌণ। থোৰতে ক'বলৈ গ'লে এইবাৰৰ নিৰ্বাচনত মূল বিষয় হ'ল চিভিল লিবাৰ্টিজ বা নাগৰিক অধিকাৰ। কংগ্ৰেছে ক্ষমতা পালে জনসাধাৰণে এক ধৰণৰ নাগৰিক অধিকাৰ পাব যাৰ প্ৰত্যক্ষ অভিজ্ঞতা যোৱা কুৰিমাহত তেওঁলোকে পাই থৈছে; বিৰোধী দলে ক্ষমতা পালে জনসাধাৰণে আন এক ধৰণৰ নাগৰিক অধিকাৰ পাব—যাৰ প্ৰত্যক্ষ অভিজ্ঞতা তেওঁলোকে স্বাধীনতা লাভৰ পৰা ১৯৭৫ চনলৈকে পাই আছিল। কেনেধৰণৰ নাগৰিক অধিকাৰ তেওঁলোকে বিচাৰে [illegible] নিৰ্বাচনে তাকেই নিৰ্ণয় কৰিব।

অৰ্থনৈতিক কথাবোৰো অৱশ্যে বিচাৰৰ পৰা সম্পূৰ্ণ বাদ দিব নোৱাৰি। এই ক্ষেত্ৰত কংগ্ৰেছে দাবী কৰিছে যে যোৱা কুৰি মাহত কংগ্ৰেছ চৰকাৰে জনসাধাৰণৰ আৰ্থিক উন্নতিৰ কাৰণে কাম-কাজবোৰে তেওঁলোকক বিশেষভাৱে উপকৃত কৰিছে আৰু অব্যাহতভাৱে এই কামবোৰ কৰি যাবলৈকে কংগ্ৰেছক পুনৰ শাসন ক্ষমতা দিব লাগে। এই ক্ষেত্ৰত বুজনি বা বিতৰ্কৰ কোনো অৱকাশ নাই। চৰকাৰৰ কিবা এটা বিশেষ কাম বা কাৰ্য্যসূচীৰ পৰা বাহিৰে উপকাৰ পাইছেনে নাই এই কথা আনে তেওঁলোকক চকুত আঙুলি দি কোৱাৰ প্ৰয়োজন নাই — নিজৰ লক্ষ্য আৰু ব্যক্তিগত অভিজ্ঞতাৰেই তেওঁলোকে সেই কথা বুজি পায়। কংগ্ৰেছ চৰকাৰৰ যোৱা কুৰি মাহৰ কাম-কাজৰ পৰা যদি দৰিদ্ৰ জনসাধাৰণ প্ৰকৃততেই বিশেষভাৱে উপকৃত হৈছে তেন্তে তেওঁলোকে নিৰ্বাচনত নিশ্চয় কংগ্ৰেছৰ সমৰ্থন দিব। উদাহৰণ স্বৰূপে যোৱা ছমাহৰ ভিতৰত নিত্য-ব্যৱহাৰ্য্য বস্ত্ৰ-বস্তুৰ মূল্য শতকৰা বাৰ ভাগ বৃদ্ধি পাইছে। কিন্তু প্ৰধানমন্ত্ৰীয়ে ক'ব খোজে যে এই মূল্য বৃদ্ধি নিতান্তই নগণ্য। শতকৰা বাৰ ভাগ মূল্যবৃদ্ধিক দুখীয়া বাইজেও প্ৰধানমন্ত্ৰীৰ নিচিনাকৈ নগণ্য বুলি ভাবেনে? যোৱা কুৰিমাহৰ কাম-কাজ সম্পৰ্কে এতিয়ালৈকে কেৱল কৰ্তোতাসকলৰ অৰ্থাৎ চৰকাৰৰ আত্ম-প্ৰচাৰহে শুনা গৈছে। নিৰ্বাচনৰ যোগেদি উপকৃতসকল অৰ্থাৎ জনসাধাৰণৰ ৰায়ো শুনা যাব।

নিৰ্বাচনৰ সময়ত চৰকাৰী আৰু বিৰোধী উভয় দলৰ কিছু পৰিমাণে বিভ্ৰান্তিকৰ হয়। কাৰণ সকলো প্ৰকাৰৰ মাজতে কিছু অতিৰঞ্জন, অতিকথন আৰু সৰলীকৰণ থাকে। জনসাধাৰণে তুঁহৰ পৰা চাউল বাছি

ল'ব পাৰিব লাগিব। নহ'লে পিছত ঠগ খাব। উদাহৰণস্বৰূপে এইবাৰ কংগ্ৰেছৰ প্ৰধান শ্লোগান হৈছে 'ৰাজনৈতিক সুস্থিৰতা আৰু শক্তিশালী কেন্দ্ৰ'; বিৰোধী দলৰ প্ৰধান শ্লোগান হৈছে 'একনায়তন্ত্ৰবাদী প্ৰৱণতাক ৰোধ কৰি গণতন্ত্ৰৰ পুনৰুদ্ধাৰ।" ৰাজনৈতিক দলবোৰে এই শ্লোগানবোৰ মন্ত্ৰৰ দৰে প্ৰয়োগ কৰিছে, ৰাজনৈতিক বক্তব্যৰ ৰূপত তাক ফঁহিয়াই বিশ্লেষণ কৰি দেখুৱাবলৈ সাহস কৰা নাই। ১৯৪৭ চনৰ পৰা ১৯৬৭ চনলৈকে এই কুৰি বছৰত দেশত অখণ্ড আৰু নিৰবচ্ছিন্ন ৰাজনৈতিক সুস্থিৰতা বিৰাজ কৰিছিল, বিপুল সংখ্যাগৰিষ্ঠতাৰে কেন্দ্ৰীয় কংগ্ৰেছ চৰকাৰ আছিল পৰম শক্তিশালী। সেই সময়ত দেশত অৰ্থনৈতিক প্ৰগতি কিমানখিনি হ'ল? প্ৰধানমন্ত্ৰীয়ে নিজেই দাবী কৰিছে যে যোৱা দহ বছৰত অৰ্থাৎ তেওঁৰ প্ৰধান মন্ত্ৰিত্বৰ কালছোৱাতহে দেশে সকলো ক্ষেত্ৰতে বিশেষভাৱে উন্নতি কৰি সমগ্ৰ বিশ্বৰ প্ৰশংসা আৰু সন্মান আৰ্জিবলৈ সক্ষম হৈছে। তেওঁৰ এই কাৰ্যই ইয়াকেই প্ৰমাণ কৰে যে কেৱল ৰাজনৈতিক সুস্থিৰতা আৰু শক্তিশালী কেন্দ্ৰীয় চৰকাৰেই দেশৰ অৰ্থনৈতিক উন্নতি-সাধনৰ কাৰণে যথেষ্ট নহয়, তাৰ লগতে আৰু এটা অতিৰিক্ত বস্তুৰ প্ৰয়োজন হয়। কোৱা বাহুল্য মাথোন যে সেই বস্তুটো হ'ল স্থিতাৱস্থা আৰু চৰকাৰৰ আত্ম-সন্তুষ্টিৰ বিৰুদ্ধে জনসাধাৰণৰ তীব্ৰ অসন্তুষ্টি আৰু প্ৰতিবাদ। ১৯৬৭ চনৰ নিৰ্বাচনত জনসাধাৰণে কংগ্ৰেছ শাসনৰ বিৰুদ্ধে তেওঁলোকৰ তীব্ৰ অসন্তুষ্টি প্ৰকাশ নকৰা হ'লে কংগ্ৰেছে আত্ম-সমালোচনাৰ প্ৰয়োজন অনুভৱ কৰিলেহেঁতেননে নাই আৰু ১৯৬৯ চনৰ পৰা ১৯৭২ চনৰ ভিতৰত ঘটা ঘটনাখিনি ঘটিলহেঁতেননে নাই, সেই বিষয়ে সন্দেহৰ যথেষ্ট অৱকাশ আছে। ঠিক সেইদৰে সমগ্ৰ ১৯৭৪ চন ব্যাপি চলা গণ-আন্দোলনে কংগ্ৰেছৰ আত্ম-সন্তুষ্টিত আঘাত নকৰা হ'লে কুৰি-দফীয়া কাৰ্য্যসূচীৰ দ্বাৰা চৰকাৰে দ্ৰুততম গতিৰে কিছুমান কাম কৰি দেখুওৱাৰ প্ৰয়োজন অনুভৱ কৰিলেহেঁতেননে নাই, সেই বিষয়েও প্ৰশ্নৰ অৱকাশ থাকি গৈছে। মুঠ কথা, সুস্থিৰতাই এহাতে যেনেকৈ কামৰ অনুকূল শান্তিপূৰ্ণ পৰিবেশ সৃষ্টি কৰিব পাৰে, ঠিক তেনেকৈ তাক স্থিতাৱস্থা বাহাল ৰখাৰ আৰু কিছুমান মানুহৰ ৰাজনৈতিক ক্ষমতা অক্ষুণ্ণ ৰখাৰ উপায় হিচাপেও ব্যৱহাৰ কৰিব পৰা যায়। গতিকে কেৱল ৰাজনৈতিক সুস্থিৰতা আৰু শক্তিশালী কেন্দ্ৰীয় চৰকাৰেই সৰ্বৰোগৰ মহৌষধ মকৰধ্বজ নহয়। তাৰ লগতে লাগিব সকলো সময়তে চৰকাৰক কৰ্মব্যস্ত আৰু কৰ্তব্য-পৰায়ণ কৰি ৰাখিবলৈ প্ৰবল জনমতৰ হেঁচুকনি, সততে ক্ষমতা হেৰুওৱাৰ ভয়, আন কথাত ক'বলৈ গ'লে একপ্ৰকাৰৰ মানসিক অস্থিৰতা। ব্যক্তিৰ দৰে একোটা জাতিয়েও Dignity of danger ৰ মূল্য বুজিব লাগিব আৰু স্থায়ী মঙ্গলৰ কাৰণে মাজে মাজে সাময়িক অস্থায়ী বিপদ বৰণ কৰি ল'ব পাৰিব লাগিব।

নিৰ্বাচনী শ্লোগানবোৰ কেনেকৈ বিভ্ৰান্তিকৰ হ'ব পাৰে তাৰ এটা উদাহৰণ দিওঁ। কানাডাৰ ১৯১৭ চনৰ নিৰ্বাচনৰ প্ৰধান বিষয় আছিল বাধ্যতামূলক সামৰিক সেৱা বনাম স্বেচ্ছামূলক সামৰিক সেৱা (Conscription Vs. Volunteering)। প্ৰতিদ্বন্দ্বী দল দুটাই এই দুটা বিষয়ৰ ৰাজনৈতিক আৰু সামাজিক তাৎপৰ্য ব্যাখ্যা কৰি জন-সমৰ্থন পাবলৈ চেষ্টা কৰিব লাগিছিল। কিন্তু তাকে নকৰি এটা দলে প্ৰচাৰ কৰিলে যে বাধ্যতামূলক সামৰিক সেৱাৰ প্ৰস্তাৱ পৰাজিত হ'লে কানাডাত ফৰাচীসকলৰ আধিপত্য বৃদ্ধি পাব। ফলত কানাডাৰ ইংৰাজ অধিবাসীসকলে দলে দলে বাধ্যতামূলক সামৰিক সেৱাৰ প্ৰস্তাৱ সমৰ্থন কৰি ভোট দিলে আৰু কানাডাত ইংৰাজ আধিপত্য বৃদ্ধি পালে। মনত ৰখা দৰকাৰ যে কানাডাত ইংৰাজ আধিপত্য বৃদ্ধি পোৱা দৰকাৰ নে ফৰাচী আধিপত্য বৃদ্ধি পোৱা দৰকাৰ—নিৰ্বাচনৰ সেইটো বিচাৰ্য বিষয় নাছিল; একমাত্ৰ বিচাৰ্য বিষয় আছিল বাধ্যতামূলক সামৰিক সেৱা আৰু স্বেচ্ছা-প্ৰসূত সামৰিক সেৱাৰ ভিতৰত ৰাষ্ট্ৰীয় নীতি হিচাপে কোনটো গ্ৰহণ কৰা হ'ব। কিন্তু ক্ষমতা-লোলুপ চতুৰ ৰাজনৈতিক নেতাসকলে গোটেই

বিষয়টোবে এনে বিকৃত ব্যাখ্যা ভাঙি ধৰিলে যে তাৰ নৈতিক তাৎপৰ্য বুজি পাবলৈ জনসাধাৰণে সুবিধাই নাপালে, গোটেই বিষয়টো ৰূপান্তৰিত হ'ল ইংৰাজ আৰু ৰবাচীসকলৰ ক্ষমতাৰ অধিয়া-অধিৰিলৈ।

ভাৰতৰ বৰ্তমান নিৰ্বাচনতো ঠিক একে ঘটনাই ঘটিছে। গণতন্ত্ৰ বনাম একনায়কত্ববাদ, সুস্থিৰতা বনাম অৰাজকতা, শক্তিশালী কেন্দ্ৰ বনাম ক্ষমতাৰ বিকেন্দ্ৰীকৰণ — এই গোটেইবোৰ শ্লোগানেই অতিমাত্ৰাই সৰলীকৰণ। নিৰ্বাচনী প্ৰচাৰ-অভিযানবোৰত এইবোৰ বিষয় সহজ-সৰলভাৱে ব্যাখ্যা আৰু বিশ্লেষণ কৰি জনসাধাৰণক ৰাজনৈতিক শিক্ষা দিবলৈকো কোনো দলেই আন্তৰিকভাৱে চেষ্টা কৰা নাই। পৰস্পৰৰ বিৰুদ্ধে অভিযোগ আৰু প্ৰত্যাভিযোগ কৰোঁতেই তেওঁলোকৰ সৰহভাগ সময় আৰু শক্তি খৰচ হৈছে। নিৰ্বাচনী প্ৰচাৰৰ এই হৈ-চৈ আৰু হুলস্থূলৰ মাজৰ পৰা মাত্ৰ দুটা কথা পৰিষ্কাৰ ৰূপত ওলাই আহিছে, প্ৰথমবাৰৰ কাৰণে এইবাৰ এটা বিকল্প চৰকাৰ গঠনৰ সম্ভাৱনা অথবা কমপক্ষেও এটা অতি শক্তিশালী বিৰোধী দল গঠনৰ সম্ভাৱনা সুনিশ্চিত হৈ উঠিছে; দ্বিতীয়তে অদূৰ ভৱিষ্যতত ভাৰতৰ গণতন্ত্ৰই কি ৰূপ ল'ব সেইটোৱেই হ'ল এই নিৰ্বাচনৰ প্ৰধান বিচাৰ্য্য বিষয়। কংগ্ৰেছে দেশক যি গণতন্ত্ৰ দিব সি হ'ল সংবিধানৰ চতুৰ্থ সংশোধনীৰ দ্বাৰা অংগক্ষত হোৱা গণতন্ত্ৰ। এজন মানুহৰ দুয়োখন ভৰি দুয়োখন হাত বা জিভাখন কটা গ'লেও মানুহজন জীয়াই থাকিব পাৰে। তথাপি তেনে পংগু মানুহৰ জীৱন কাম্য বুলি কোনেও নকয়। ব্যক্তি স্বাধীনতা বাতৰি কাকতৰ স্বাধীনতা আৰু ন্যায়-পালিকাৰ স্বাধীনতা আদি গণতন্ত্ৰৰ প্ৰধান অংগবোৰ কাটি পেলাইয়ো হয়তো গণতন্ত্ৰৰ ভেলটোক জীয়াই ৰাখিব পাৰি। কিন্তু তেনেকুৱা গণতন্ত্ৰকেই আমি বিচাৰোনে? তেনেকুৱা গণতন্ত্ৰৰ কাৰণেই গান্ধী আৰু নেহৰুৰ নেতৃত্বত জনসাধাৰণে ভাৰতৰ আত্মাৰ মুক্তিৰ কাৰণে সংগ্ৰাম কৰিছিলনে? আগন্তুক নিৰ্বাচনত দেশৰ জনসাধাৰণে ঠিক এই প্ৰশ্নৰেই উত্তৰ দিব লাগিব। তেওঁলোকে যদি ভাৱে যে এইবিধি নাগৰিক অধিকাৰ বিসৰ্জন দিয়েই সংখ্যাগৰিষ্ঠ মানুহৰ সামাজিক আৰু অৰ্থনৈতিক প্ৰগতি সম্ভৱপৰ তেন্তে তেওঁলোকৰ সেই ৰায় প্ৰতিদ্বন্দ্বী দল দুটাকে ধৰি সকলোৱে মানি ল'বই লাগিব।

ভাৰতৰ গণতন্ত্ৰই যি ৰূপ ল'ব, সেই প্ৰশ্নৰ উত্তৰ দিব আগন্তুক নিৰ্বাচনে। সেই উত্তৰৰ ওপৰতে নিৰ্ভৰ কৰিব— কেন্দ্ৰত এইবাৰ কোনটো দলে চৰকাৰ গঠন কৰিব? কংগ্ৰেছে নে সম্মিলিত বিৰোধী দলবোৰে? ভাৰতৰ জনতাৰ সন্মুখত এনে এটা চাঞ্চল্যকৰ আৰু উত্তেজনাপূৰ্ণ সম্ভাৱনা ইয়াৰ আগতে কেতিয়াও দেখা দিয়া নাছিল। কেৱল সেই কাৰণেও এই নিৰ্বাচন প্ৰকৃততে ঐতিহাসিক আৰু নিৰ্ণায়ক।

সাপ্তাহিক নীলাচল, ৪২১ সংখ্যা : ১৬ মাৰ্চ, ১৯৭৭ চন

গণতন্ত্ৰৰ সপক্ষে তিনিটা জয়-ধ্বনি

Caesar : The ides of March are come.
Soothsayer : Ay, Caesar ; but not gone.
–Julius Caesar : Shakespeare–

ভাৰতৰ বেছিভাগ মানুহেই নিৰক্ষৰ। স্বাধীনতা লাভৰ ত্ৰিশ বছৰ পিছতো এতিয়াও শতকৰা ২৮ জন লোকহে সাক্ষৰ হৈছে। সাক্ষৰহে হৈছে, শিক্ষিত নহয়। প্ৰকৃতাৰ্থত শিক্ষিত লোক বুলিলে আমি যেনেকুৱা মানুহক বুজোঁ তেনে লোকৰ সংখ্যা শতকৰা দহজনতকৈ বেছি নহ'ব। ১৯৫২ চনত সাক্ষৰ ভাৰতীয়ৰ সংখ্যা এতিয়াতকৈ বহুত কম আছিল। সেই বছৰতে সাৰ্বজনীন ভোটাধিকাৰৰ ভিত্তিত স্বাধীন ভাৰতৰ সৰ্বপ্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। যিখন দেশত শতকৰা ৯০ জন মানুহেই নিৰক্ষৰ, তেনে এখন দেশত গণতন্ত্ৰ কেনেকৈ কাৰ্যকৰী হ'ব পাৰে বা নিৰ্বাচন কেনেকৈ অনুষ্ঠিত হ'ব পাৰে—তাকে নিজ চকুৰে চাবলৈ বিদেশৰ পৰা বহুতো সাংবাদিক ভাৰতলৈ আহিছিল। তেনেকুৱা কেইজনমান সাংবাদিকে শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিতক সুধিছিল : 'ভাৰতৰ দৰে কোটি কোটি নিৰক্ষৰ মানুহৰ দেশত গণতন্ত্ৰ কেনেকৈ কাৰ্যকৰী হ'ব পাৰে? আখৰ চিনি নোপোৱা মানুহে কেনেকৈ ভোটৰ সদ্ব্যৱহাৰ কৰিব পাৰে?'

শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিতে উত্তৰত কৈছিল : 'ভাৰতৰ মানুহ নিৰক্ষৰ হ'ব পাৰে; কিন্তু অন্যান্য বহুতো দেশৰ মানুহক যি অৰ্থত অশিক্ষিত বুলি কোৱা হয়, ঠিক সেই অৰ্থত ভাৰতৰ মানুহ অশিক্ষিত নহয়। কেইবা হাজাৰ বছৰীয়া এটা প্ৰাচীন সভ্যতাৰ কোলাত লালিত হোৱা এই মানুহবোৰে আখৰ চিনি নাপালেও শ্ৰুতি-পৰম্পৰাৰ দ্বাৰা প্ৰাচীন সাহিত্যৰ জ্ঞান অৰ্জন কৰে আৰু তাৰ দ্বাৰাই শিক্ষিত জনোচিত বিচাৰ-বুদ্ধি আয়ত্ত কৰে।'

কথাষাৰ আংশিকভাৱে সঁচা। লিখিব-পঢ়িব পাৰিলেই মানুহ যেনেকৈ শিক্ষিত নহয় তেনেকৈ নিৰক্ষৰ মানুহ মাত্ৰেই অশিক্ষিত নহয়। ভাৰতৰ শতকৰা সত্তৰজন মানুহেই নিৰক্ষৰ হ'লেও ;তেওঁলোকৰ মাজৰে এক বৃহৎ-সংখ্যক জনসমষ্টি পাঁচ হাজাৰ বছৰীয়া এটা প্ৰাচীন সাংস্কৃতিক ঐতিহ্যৰ উত্তৰাধিকাৰী; কেতিয়াও আঁক এটা নপৰা ফলি এখনৰ দৰে তেওঁলোকৰ মনটো উকা বা শূন্য নহয়। 'জীৱন সম্পৰ্কে তেওঁলোকৰ এটা নিজৰ দৃষ্টিভংগী আছে।' অৰ্থাৎ তেওঁলোক নিৰক্ষৰ হ'ব পাৰে, কিন্তু বিচাৰ-বুদ্ধিহীন নহয়। কিন্তু লগতে এই কথাও সত্য যে সেই পৰম্পৰালব্ধ জ্ঞানে তেওঁলোকক কেতিয়াও মুক্তবুদ্ধি 'ব্যক্তি'ত পৰিণত কৰা নাই, তেওঁলোকৰ মনত সি কেতিয়াও সাহসী প্ৰশ্নশীলতা জগাই তোলা নাই। তেওঁলোক এতিয়াও হৈ আছে ৰক্ষণশীল, অতীতমুখী আৰু পৰিবৰ্তনবিমুখ। তাৰ ফলস্বৰূপে তেওঁলোকে এতিয়াও স্বাধীন বিচাৰ-বুদ্ধিসম্পন্ন ব্যক্তিৰ দৰে গণতান্ত্ৰিক বিচাৰ আৰু আলোচনাত অংশ ল'বলৈ শিকা নাই; তেওঁলোকে এতিয়াও যূথবদ্ধ গড্ডালিকা প্ৰবাহৰ দৰে দলে দলে ভোট দিয়ে জাত-পাতৰ বিচাৰৰ বশৱৰ্তী হৈ নিজ নিজ সম্প্ৰদায়ৰ নেতা আৰু মাতব্বৰৰ নিৰ্দেশত। তাৰ লগতে যোগ হৈছে দাৰিদ্ৰ্যৰ দুৰ্বহ বোজা। এই দাৰিদ্ৰ্যই তেওঁলোকৰ সকলো সাহ-পিত মাৰি চিত্তৰ ফালৰ পৰা তেওঁলোকক ক্ৰীতদাসত পৰিণত কৰি ৰাখিছে। নিৰ্বাচনৰ সময়ত বেলট বাকচত যে ভাৰতৰ কোনো কোনো শ্ৰেণী বা সম্প্ৰদায়ৰ একক ভোট পৰে, অৰ্থাৎ ব্যক্তিগত বিচাৰ-বুদ্ধিৰ দ্বাৰা পৰিচালিত নহৈ কাৰোবাৰ অদৃশ্য আঙুলিৰ নিৰ্দেশত শত যূথবদ্ধ পশুৰ দৰে তেওঁলোকে দলে দলে ভোট দিয়ে, সি নিশ্চয় ভাৰতীয় গণতন্ত্ৰৰ গৌৰৱ বা সাবালকত্ব প্ৰমাণ নকৰে। ধৰ্ম-

নিৰপেক্ষতাৰ আদৰ্শক লৈ ভাৰতে গৌৰৱ কৰে, কিন্তু নিৰ্বাচনৰ ক্ষেত্ৰত এই ধৰ্মনিৰপেক্ষতাৰ আদৰ্শ এতিয়াও সম্পূৰ্ণৰূপে আমাৰ মজ্জাগত হোৱা নাই।

শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিতে ভাৰতীয় ভোটদাতাৰ পৰম্পৰালব্ধ প্ৰজ্ঞাৰ বিষয়ে যিহকেই নকওক কিয় এই কথা নুই কৰিবৰ উপাই নাই যে দেশৰ বেছিভাগ মানুহে আধুনিক শিক্ষাত শিক্ষিত নোহোৱালৈকে গণতন্ত্ৰ কেতিয়াও সম্পূৰ্ণভাৱে কাৰ্যকৰী হ'ব নোৱাৰে। মানুহ কেৱল এটা 'সংখ্যা' নহয়, গণতন্ত্ৰৰ মহত্তম আদৰ্শ বাস্তৱত ৰূপায়িত হ'বলৈ হ'লে প্ৰত্যেকজন মানুহেই হ'ব লাগিব একোজন স্বাধীন বিচাৰ-বুদ্ধিসম্পন্ন 'ব্যক্তি'। গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ দান হ'ল এইটোৱেই যে সি প্ৰত্যেকজন মানুহকে স্বতন্ত্ৰ ব্যক্তি হিচাপে স্বীকাৰ কৰে, প্ৰত্যেক ব্যক্তিৰ মানৱিক মৰ্যাদাত সৰ্বাধিক মূল্য দিয়ে আৰু তেওঁৰ মতামতক সন্মান কৰে। নিৰক্ষৰ ভাৰতীয়ক তেওঁৰ পৰম্পৰালব্ধ জ্ঞানে এটা সৎ নৈতিক জীৱন-যাপন কৰিবলৈ সহায় কৰিব পাৰে। কিন্তু গণতান্ত্ৰিক শাসন-ব্যৱস্থাত সক্ৰিয় অংশ ল'বলৈ কেৱল সেইখিনিয়েই যথেষ্ট নহয়। তাৰ কাৰণে তেওঁ ৰাজনৈতিক আৰু অৰ্থনৈতিক কথাবোৰো সামান্যভাৱে হ'লেও বুজি পোৱাৰ প্ৰয়োজন হয়। কংগ্ৰেছ-সভাপতি শ্ৰীদেৱকান্ত বৰুৱাই কিছুদিনৰ আগতে কৈছিল যে 'গণতন্ত্ৰৰ সৰ্বশ্ৰেষ্ঠ সংজ্ঞা হ'ল আলোচনাৰ সাৰ্বভৌম।' আলোচনাৰ সাৰ্বভৌম প্ৰতিষ্ঠা কৰাৰ সৰ্বপ্ৰথম আৰু প্ৰধানতম চৰ্ত্ত হ'ল ভয়শূন্য পৰিৱেশত সকলো ধৰণৰ মতামত প্ৰকাশ কৰাৰ সুযোগ আৰু স্বাধীনতা। শীৰ্ষস্থানীয় জাৰ্মান লেখক গুণ্টাৰ গ্ৰাছে দাবী কৰিছে যে প্ৰয়োজন হ'লে হিংসাৰ সপক্ষে মাত মাতিবলৈকো তেওঁৰ স্বাধীনতা থাকিব লাগিব; তেতিয়াহে গণতন্ত্ৰ প্ৰকৃত অৰ্থত অৰ্থপূৰ্ণ হ'ব। আমি সিমানখিনি দাবী নকৰোঁ; কিন্তু dissent বা বিৰুদ্ধ মত প্ৰকাশৰ অবাধ স্বাধীনতা গণতন্ত্ৰৰ নিৰ্যাস বা মূল কথা। অত এব মত প্ৰকাশৰ স্বাধীনতাক খৰ্ব কৰিব পৰা ভয় বা সন্ত্ৰাসৰ মানসিক বাতাৱৰণ সম্পূৰ্ণৰূপে গণতন্ত্ৰৰ পৰিপন্থী। দ্বিতীয়তে, প্ৰাচীন গ্ৰীচৰ ক্ষুদ্ৰ ক্ষুদ্ৰ গণতান্ত্ৰিক নগৰ-ৰাষ্ট্ৰবোৰত আটাইবোৰ নাগৰিকে একে ঠাইতে মিলিত হৈ আলোচনাত ভাগ ল'ব পাৰিছিল। কোটি কোটি মানুহৰ আধুনিক বৃহৎ ৰাষ্ট্ৰত সেইটো সম্ভৱ নহয়। এতিয়া সভা-সমিতি আৰু বাতৰি কাকতেই হ'ল আলোচনা আৰু মতামত বিনিময়ৰ একমাত্ৰ উপায়। বিশেষকৈ বাতৰি কাকত আধুনিক গণতন্ত্ৰৰ এটা প্ৰধান অংগ। যিটো কাৰণে বাতৰি কাকতৰ যোগেদি সংগঠিত আৰু প্ৰকাশিত জনমতৰ ইমানেই প্ৰচণ্ড শক্তি যে নেপোলিয়নৰ দৰে স্বৈৰাচাৰী সম্ৰাটেও ক'বলৈ বাধ্য হৈছিল : 'এহাজাৰটা বন্দুকতকৈ এখন বাতৰি কাকতক মই বেছি ভয় কৰোঁ।'

মুক্ত আৰু নিয়ন্ত্ৰিত বাতৰি কাকতৰ পৰ্বত প্ৰমাণ পাৰ্থক্য সম্প্ৰতি ভাৰতৰ মানুহেও উপলব্ধি কৰিবলৈ সুযোগ পাইছে। কিন্তু ভাৰতত মাত্ৰ শতকৰা দুজন মানুহেহে বাতৰি কাকত পঢ়িব পাৰে। বাতৰি কাকত পঢ়িব পৰা এই শতকৰা দুভাগ মানুহক নগণ্য সংখ্যালঘু বুলি কহতে ইতিকিং কৰিবও খোজে। কিন্তু এইসকল লোকে পাহৰি যায় যে স্বাধীনতা লাভৰ ত্ৰিশ বছৰৰ পিছতো দেশৰ শতকৰা দুজনমান মানুহে বাতৰি কাকত পঢ়িব পৰাৰ আৰ্থিক বা শিক্ষাগত যোগ্যতা অৰ্জন কৰিব পৰা কথাটো দেশৰ ভাগ্য নিয়ন্তাসকলৰ দুৰপণেয় কলংকৰ বাহিৰে আন একো নহয়। এইসকল লোকে এই কথাও পাহৰি যায় যে যিকেইটা প্ৰধান ঘটনাই গোটেই পশ্চিমৰ ইউৰোপত নৱ-জাগৰণ সৃষ্টি কৰিছিল আৰু মানুহক আত্ম-পৰিচয়হীন যূথবদ্ধ সামাজিক জীৱনৰ নিনাও অৱস্থাৰ পৰা মুক্ত কৰি স্বাতন্ত্ৰ্য-চিহ্নিত আৰু স্বাধীন বিচাৰ-বুদ্ধিসম্পন্ন 'ব্যক্তি'ত পৰিণত কৰিছিল সেইবোৰৰ ভিতৰত এটা প্ৰধান ঘটনা আছিল ছপাখানাৰ আৱিষ্কাৰ। ছপা আখৰে জ্ঞানৰ ৰাজ্যত সকলো মানুহকে সমান কৰি দি গণতন্ত্ৰৰ প্ৰথম সূচনা কৰিছিল। ভাৰতত সেই গণতন্ত্ৰ এতিয়াও স্থাপিত হোৱা নাই। কবি ইকবালে সেয়েহে কৈছিল যে গণতন্ত্ৰত মানুহৰ মূৰবোৰ গণ্তি কৰা হয়, কিন্তু মূৰবোৰৰ ওজন লোৱা নহয়। এইৰূপ গণতন্ত্ৰৰ প্ৰতি লক্ষ্য ৰাখিয়েই তেওঁ সেই কথা কৈছিল। আমাৰ দেশৰ শাসকসকলে এই দেশৰ কোটি কোটি নিৰক্ষৰ মানুহৰ সমৰ্থন লাভ কৰি গৰ্ব অনুভৱ কৰে, গৰিষ্ঠ সংখ্যক জনতাৰ প্ৰতিনিধিত্ব কৰা বুলি দাবী কৰে, কিন্তু কাৰ্যক্ষেত্ৰত

এইসকল লোকৰ বিচাৰ-বুদ্ধিৰ প্ৰতি তেওঁলোকে কোনো শ্ৰদ্ধা অনুভৱ নকৰে। ভাৰতীয় সংবিধানৰ ৪২ নং সংশোধনী বিলখন ৰাজহুৱা আলোচনাৰ কাৰণে প্ৰচাৰ কৰিব লাগে বুলি যেতিয়া দাবী উঠিছিল তেতিয়া সেই দাবী প্ৰত্যাখ্যান কৰি আইনমন্ত্ৰী গোখলেই কৈছিল যে এনেকুৱা ৰাজহুৱা আলোচনাৰ কোনো প্ৰয়োজন নাই, কাৰণ দেশৰ নিৰক্ষৰ জনতাই সংবিধানৰ জটিল কথাবোৰ একো বুজি নাপায়। যি নিৰক্ষৰ জনতাই সংবিধানৰ জটিল কথাবোৰ বুজি নাপায়, নিৰ্বাচনত সেইসকল লোকৰেই সমৰ্থন বা অসমৰ্থনৰ তেন্তে কি মূল্য থাকিব পাৰে? তেওঁলোকে বুজি নোপোৱা সংবিধানেৰেই জানো এইসকল লোকক শাসন কৰা নহ'ব?

আচল কথা, শিক্ষাৰ দ্ৰুত প্ৰসাৰৰ ব্যৱস্থা নকৰি ভাৰতত গণতন্ত্ৰৰ সুস্থ বিকাশৰ পথত অন্তৰায় সৃষ্টি কৰা হৈছে। ভাৰতে পৃথিৱীৰ সমাজবাদী দেশবোৰৰ সমৰ্থনক লৈ গৌৰৱ কৰে, কিন্তু কাৰ্য্যক্ষেত্ৰত ভাৰতে সেই দেশবোৰৰ সভ্য আৰ্হি অনুসৰণ কৰা নাই। ওৱটাছিংকিয়ে লিখিছে যে ৰাছিয়াত বিপ্লৱ আৰম্ভ হোৱাৰ আৰু কমিউনিষ্ট শাসন প্ৰতিষ্ঠিত হোৱাৰ লগে লগে সমগ্ৰ দেশতে শিক্ষা বিস্তাৰৰ কাৰণে এক বিপুল আৰু সৰ্বাত্মক প্ৰচেষ্টা আৰম্ভ কৰা হৈছিল। ভাত-কাপোৰৰ সমানেই বা তাতোকৈ বেছিকৈহে শিক্ষাৰ প্ৰয়োজন বেছি বুলি অনুভৱ কৰা হৈছিল। ভাৰতত এনে ধৰণৰ কোনো উদ্যম নেদেখি তেওঁ অতিশয় বিস্মিত আৰু দুঃখিত হৈছিল। ভাৰতৰ কোনো কোনো নেতাই দাবী কৰে যে এই দেশৰ দৰিদ্ৰ, অনুন্নত আৰু নিৰক্ষৰ মানুহবোৰে সদায় তেওঁলোকৰেই সমৰ্থন দিয়ে। তাৰ অৰ্থ এয়েই নেকি যে ভাৰতীয় জনতাৰ দৰিদ্ৰতা আৰু নিৰক্ষৰতা কোনো কোনো দল বা নেতাৰ কাৰণে ন্যস্ত স্বাৰ্থত পৰিণত হৈছে? এইবোৰ কথা লক্ষ্য কৰিয়েই মেক্সিকোৰ প্ৰখ্যাত কবি আৰু বুদ্ধিজীৱী অক্টাভিয় পাজে (তেওঁ দুবছৰমান ভাৰতত মেক্সিকোৰ ৰাষ্ট্ৰদূত আছিল) লিখিছিল ঃ 'The third world was not so much political leaders, a common species, as something far more rare and precious : critics. The third world was between Buddha and Marx, Siva and Darwin, Alla and Cybernetics. It is a reflection of the past that antedates Christ and machines. It is also a determination to be modern.'

সি যি কি নহওক; শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিতৰ কথা আংশিকভাৱে সত্য। ভাৰতত কোটি কোটি নিৰক্ষৰ জনতাই ৰাজনীতি আৰু অৰ্থনীতিৰ জটিল কথাবোৰ বুজি নাপাব পাৰে; কিন্তু যোৱা ত্ৰিশটা বছৰৰ পাঁচোটা সাধাৰণ নিৰ্বাচনৰ যোগেদি তেওঁলোকে গণতন্ত্ৰৰ প্ৰতি তেওঁলোকৰ সহজাত আনুগত্যৰ কথা নিৰ্ভুলভাৱে প্ৰমাণ কৰিছে। যোৱা ঊনৈশ মাহৰ অভিজ্ঞতাৰ পিছত সম্প্ৰতি দেশত যি অভূতপূৰ্ব জনজাগৰণ দেখা গৈছে, সিও এই কথা প্ৰমাণ কৰিছে যে গণতন্ত্ৰৰ মূল আদৰ্শ এই দেশৰ জনমানসত গভীৰভাৱে প্ৰোথিত হৈছে, আৰু ভাৰতৰ মাটিত গণতন্ত্ৰক জীয়াই ৰাখিবলৈ এই দেশৰ মানুহ প্ৰতিজ্ঞাবদ্ধ। প্ৰত্যেক ব্যক্তিৰ মানৱিক মৰ্যাদা আৰু স্বাধীনতাই হ'ল গণতন্ত্ৰৰ সাৰ কথা। ভাৰতৰ মানুহে সেই মানৱিক মৰ্যাদা আৰু স্বাধীনতা যিকোনো প্ৰকাৰে ৰক্ষা কৰিব। গণতান্ত্ৰিক আৰু ব্যক্তি স্বাধীনতা ৰক্ষা কৰাৰ যুদ্ধত ভোটটোৱেই হ'ল নাগৰিকৰ হাতত প্ৰধান অস্ত্ৰ। বহু হাজাৰ বছৰৰ সংগ্ৰামৰ পিছত মানুহে এই সভ্যজনোচিত শক্তিশালী অস্ত্ৰ আৱিষ্কাৰ কৰিছে। মহৎ আদৰ্শৰ কাৰণে যুদ্ধ চলি থকাৰ সময়ত যুদ্ধত যোগ নিদি হাত সাৱটি বহি থকাটো যেনেকৈ কাপুৰুষতা আৰু কৰ্তব্য-বিমুখতাৰ পৰিচায়ক, ঠিক তেনেকৈ গণতন্ত্ৰ ৰক্ষাৰ কাৰণে অনুষ্ঠিত হোৱা আগন্তুক নিৰ্বাচনত ভোট নিদি ঘৰত বহি থকাটোও হ'ব এটা নৈতিক অপৰাধ। সেই কাৰণে আগন্তুক নিৰ্বাচনত ভোট দিবলৈ মানুহ দলে দলে ওলাই আহক; নিজৰ আদৰ্শ আৰু বিচাৰ-বুদ্ধি অনুসৰি তেওঁলোকে তেওঁলোকৰ হাতত থকা একমাত্ৰ শক্তিশালী অস্ত্ৰ ভোটটো প্ৰয়োগ কৰি নিজৰ আৰু দেশৰ ভৱিষ্যৎ নিৰূপণ কৰক। ঠিক সেই মুহূৰ্ততে এইটোৱেই তেওঁলোকৰ একমাত্ৰ জৰুৰী আৰু পবিত্ৰ কৰ্তব্য।

এটা দলৰ জন্ম

যোৱা পহিলা মে'ত জনতা পাৰ্টিৰ আনুষ্ঠানিক জন্ম ঘোষণাই ভাৰতীয় ৰাজনীতিত নিঃসন্দেহে এটা নতুন যুগৰ সূচনা কৰিলে। জ-নতা পাৰ্টিৰ জন্ম অৱশ্যে কেতিয়াবাই হৈছিল—ইন্দিৰা গান্ধীৰ কাৰাগাৰত। কিন্তু নিজকে গণতন্ত্ৰৰ একমাত্ৰ ধ্বজা-বাহী আৰু ত্ৰাণ-কৰ্তা বুলি দাবী কৰা কংগ্ৰেছে একেখন মুখেৰেই তেতিয়া ঘোষণা কৰিছিল যে আধুনিক ভাৰতৰ ইতিহাসত বিৰোধী দলৰ কোনো স্থান নাই; লগতে কংগ্ৰেছে এইবুলিও ভৱিষ্যত বাণী কৰিছিল যে ক্ষমতাৰ লোভে একত্ৰিত কৰা বিৰোধী ৰাজনৈতিক দলবোৰ নিৰ্বাচনৰ পিছতেই পুনৰ ছেদেলি-ভেদেলি হৈ যাব। কংগ্ৰেছৰ False prophet বা নকল-নবী সকলৰ অন্যতম বৰুৱাদেৱৰ ভৱিষ্যদ্বাণীৰ দৰে এই ভৱিষ্যদ্বাণীকো মিছা বুলি প্ৰমাণিত কৰি জনতা পাৰ্টিৰ জন্ম ঘোষণাই ভাৰতৰ জনতাৰ মনত নতুন আশা জগাই তুলিছে। ভাৰতৰ 'দ্বিতীয় স্বাধীনতা সংগ্ৰাম'ৰ নেতৃত্ব বহন কৰা এই নতুন দলটোৰ জন্মৰ লগে লগে দেশৰ ত্ৰিশ বছৰীয়া দ্বন্দ্ব-মুখৰ ইতিহাসৰ এটা অধ্যায়ৰ সামৰণি পৰিল। এতিয়া দেশ তথা জনতা পাৰ্টিৰ সন্মুখত আহি পৰিছে 'তৃতীয় স্বাধীনতা সংগ্ৰাম'ৰ দায়িত্ব। সি হ'ল অৰ্থনৈতিক স্বাধীনতাৰ সংগ্ৰাম। কোৱা বাহুল্য মাথোন যে এই তৃতীয় আৰু চতুৰ্থ যুদ্ধৰ সাফল্যৰ ওপৰতহে জনতা পাৰ্টিৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। গতিকে জনতা পাৰ্টিৰ অগ্নি পৰীক্ষা হ'বলৈ এতিয়াও বাকী আছে।

নিৰ্বাচনৰ ঠিক পিছতে ষষ্ঠ লোকসভা নিৰ্বাচনৰ ঐতিহাসিক তাৎপৰ্য ব্যাখ্যা কৰি আমি লিখিছিলোঁ যে এই নিৰ্বাচনৰ ফলাফলে তৃতীয় বিশ্বৰ ৰাজনীতি আৰু আনকি কমিউনিষ্ট আন্দোলনৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাব। যোৱা পহিলা মে'ত শ্ৰীজয়প্ৰকাশ নাৰায়ণেও লণ্ডনত কৈছে যে ভাৰতৰ এই [illegible] ফলাফলে সমগ্ৰ এচিয়াৰ ৰাজনীতিত নতুন যুগৰ সূচনা কৰিছে। গণতান্ত্ৰিক মূল্যবোধত গভী[illegible] বিশ্বাস কৰা এখন সমাজে স্বৈৰতন্ত্ৰক উচ্ছেদ কৰি কেনেকৈ সম্পূৰ্ণ শান্তিপূৰ্ণ উপায়েৰে আৰু ভোটৰ সহায়েৰেও ৰাষ্ট্ৰ-ক্ষমতা দখল কৰিব পাৰে, এই নিৰ্বাচনে সেই কথাই প্ৰমাণ কৰি দেখুৱালে। কিন্তু এচিয়া তথা বিশ্বৰ ৰাজনীতিত প্ৰকৃততেই নতুন যুগৰ সূচনা কৰিবলৈ হ'লে জনতা পাৰ্টিয়ে কেৱল সেইখিনি কৰি ক্ষান্ত থাকিলেই নহ'ব। তাতোকৈ ডাঙৰ দায়িত্ব জনতা পাৰ্টিৰ কাৰণে অপেক্ষা কৰি আছে। অৰ্থনৈতিক শোষণৰ অৱসান ঘটাই শ্ৰেণীহীন সমাজ সৃষ্টি কৰিবলৈ পৃথিৱীৰ বিভিন্ন দেশত ইতিমধ্যেই যিবোৰ সম্পৰীক্ষা হৈ গ'ল, সেইবোৰ ক্ষেত্ৰত দেখা গ'ল যে মানুহৰ ব্যক্তি-স্বাধীনতা আৰু মানবিক মৰ্যাদা অক্ষুণ্ণ ৰাখি সেইটো কৰা সম্ভৱ হোৱা নাই। মুখত ভাত দিবলৈ গৈ মানুহৰ মুখৰ মাতষাৰ কাঢ়ি আনিবলগীয়া হৈছে। অৰ্থনৈতিক মুক্তিৰ লগত ব্যক্তি-স্বাধীনতা আৰু মানবিক মৰ্যাদাৰ কেনেকৈ সমন্বয় ঘটোৱা যায়, সেইটোৱেই আজি মানৱ-সমাজৰ সন্মুখত এটা প্ৰধান সমস্যা হৈ দেখা দিছে। সেই সমস্যাই আনকি মাৰ্ক্সীয় গোড়ামিৰো বহুতো সালসলনি ঘটাই যুৰোপত য়ুৰো-কমিউনিজমৰ জন্ম দিছে। সি যি কি নহওক, জনতা পাৰ্টিয়ে গান্ধীবাদী পন্থাৰে ভাৰতীয় সমাজৰ পুনৰ্বিন্যাস কৰাৰ সংকল্প লৈছে, শ্ৰীদেশাইৰ ভাষাতে 'গণতন্ত্ৰ আৰু স্বাধীনতা'ক এই দলৰ আদৰ্শ বুলি ঘোষণা কৰা হৈছে। ব্যাপকতম অৰ্থত গ্ৰহণ কৰিলে শব্দ দুটাই অৰ্থনৈতিক মুক্তি আৰু মানবিক মৰ্যাদা দুয়োটাকে সামৰি ল'ব পাৰে। জনতা পাৰ্টিয়ে যদি ভাৰতৰ মানুহক গণতন্ত্ৰ আৰু স্বাধীনতা একেলগতে দিবলৈ সমৰ্থ হয়, তেন্তে সি নিশ্চয় সামাজিক পুনৰ্নিৰ্মাণৰ ক্ষেত্ৰত এটা নতুন সম্পৰীক্ষা বুলি পৰিগণিত হ'ব, আৰু পৃথিৱীৰ অন্যান্য ঠাইতো তাৰ প্ৰভাৱ পৰিব। জয়প্ৰকাশ নাৰায়ণৰ সপোনৰ পৰা ওপজা জনতা পাৰ্টিৰ প্ৰকৃত ঐতিহাসিক ভূমিকা সেইটোহে হোৱাটো উচিত বুলি আমি ভাবোঁ।

কংগ্ৰেছৰ ভৱিষ্যত

সকলো দূৰদৰ্শী আৰু চিন্তাশীল মানুহেই কংগ্ৰেছ এটা শক্তিশালী দল হিচাপে জীয়াই থকাটো বিচাৰে। যোৱা ত্ৰিশ বছৰত এটা শক্তিশালী আৰু ঐক্যবদ্ধ বিৰোধী দলৰ অভাৱেই ভাৰতৰ গণতন্ত্ৰৰ ভেটি ক্ৰমাৎ দুৰ্বল কৰি দেশখনত একনায়কত্ববাদৰ গৰাহলৈ ঠেলি দিছিল। ক্ষমতাসীন দলক সংযত কৰি পোন বাটত ৰাখিবলৈ এতিয়াও যদি এটা শক্তিশালী বিৰোধী দল নাথাকে, তেন্তে ইতিহাসৰ পুনৰাবৃত্তি ঘটা অসম্ভৱ নহয়। ভাৰতৰ গণতন্ত্ৰক নিৰাপদ কৰি ৰাখিবলৈ এটা বৃহৎ বিৰোধী দলৰ প্ৰয়োগ অপৰিহাৰ্য্য আৰু এনে এটা বিৰোধী দলৰ ভূমিকা ল'বলৈ সদ্যহতে কংগ্ৰেছৰ বাহিৰে দ্বিতীয় কোনো দল নাই।

কিন্তু এনে এটা ভূমিকা ল'বলৈ কংগ্ৰেছ জীয়াই থাকিবনে? নিৰ্বাচনৰ পৰাজয়ে কোনো দলৰ বিনষ্টি বা অকাল মৃত্যুৰ কাৰণ হ'ব নোৱাৰে। বৰং এটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে শাসক দল নিৰ্বাচনত পৰাজিত হৈ বিৰোধী পক্ষৰ ভূমিকা ল'ব লগা হোৱাটোৱেই গণতন্ত্ৰৰ স্বাস্থ্যৰ লক্ষণ। কিন্তু আলোচনা প্ৰসংগত স্মৰ্তব্য যে কংগ্ৰেছ কেৱল নিৰ্বাচনত পৰাজিত হোৱা নাই, কংগ্ৰেছ অভিযুক্ত হৈছে এটা ভয়ংকৰ নৈতিক অপৰাধত; কংগ্ৰেছে কেৱল জনতাৰ ৰাজনৈতিক সমৰ্থন হেৰুওৱা নাই, ই হেৰুৱাইছে জনতাৰ নৈতিক আস্থা আৰু শ্ৰদ্ধা। গতিকে সাধাৰণ অৱস্থাত যিবোৰ কাম কৰিলে এটা দলে জনসাধাৰণৰ ৰাজনৈতিক সমৰ্থন ঘূৰাই পাব পাৰে, বৰ্তমান অৱস্থাত কংগ্ৰেছে কেৱল সেইখিনি কৰিলে যথেষ্ট নহ'ব। কংগ্ৰেছৰ ব্যৰ্থতা যদি কেৱল ৰাজনৈতিক ব্যৰ্থতা হ'লহেঁতেন, কংগ্ৰেছৰ অপৰাধ কেৱল যদি ৰাজনৈতিক অপৰাধ হ'লহেঁতেন তেন্তে তাৰ স্মৃতি-মানসৰ পৰা মচি পেলাবলৈ বেছি সময় নালাগিলহেঁতেন। কিন্তু জনসাধাৰণৰ চকুত কংগ্ৰেছৰ অপৰাধটো হ'ল মূলতঃ এটা নৈতিক অপৰাধ। কংগ্ৰেছে যিটো কৰিবলৈ চেষ্টা কৰিছিল, সেইটো আছিল এটা ক্ষুদ্ৰ পাপ-চক্ৰৰ ক্ষমতা ৰক্ষাৰ স্বাৰ্থত দেশখনৰ সমগ্ৰ জনসাধাৰণৰ মৌলিক অধিকাৰ, মানৱিক মৰ্যাদা আৰু স্বাধীনতা অপহৰণ কৰিবলৈ কৰা এটা জঘন্য চক্ৰান্ত। কংগ্ৰেছৰ প্ৰত্যেকজন সদস্যই নিজৰ পৌৰুষ আৰু বিবেক বিসৰ্জন দি প্ৰত্যক্ষ বা পৰোক্ষভাৱে সেই চক্ৰান্তক সমৰ্থন কৰিছিল। অতএৱ, প্ৰয়োজনীয় প্ৰায়শ্চিত্ত নকৰাকৈ কংগ্ৰেছে এই নৈতিক অপৰাধৰ কাৰণে ক্ষমতা পাব নোৱাৰে।

এই প্ৰায়শ্চিত্তৰ এটাই মাত্ৰ পন্থা আছিল। সেইটো হৈছে — প্ৰকৃত দোষী লোকসকলক কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰা, আৰু বাকীসকলে আত্ম-সমালোচনাৰ দ্বাৰা নিজৰ কৃতকৰ্মৰ কাৰণে অনুশোচনা কৰি জন-সেৱাৰ নতুন সংকল্প গ্ৰহণ কৰা। কিন্তু তাৰ পৰিবৰ্তে কংগ্ৰেছে যিটো কৰিলে, সি দেশৰ সমগ্ৰ জনসাধাৰণৰ বুদ্ধি-বৃত্তিৰ প্ৰতি চৰম অসন্মান প্ৰদৰ্শনৰ বাহিৰে আন একো নহয়। ভাৰতৰ জনসাধাৰণৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰৰ প্ৰধান নায়িকা শ্ৰীমতী ইন্দিৰা গান্ধীৰ মুখত আজিলৈকে এটাও অনুতাপৰ শব্দ নাই, অথচ যোৱা ৬ মে' তাৰিখে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে তেওঁৰে মনোনীত প্ৰাৰ্থী শ্ৰীব্ৰহ্মানন্দ ৰেড্ডীক নতুন সভাপতি ৰূপে নিৰ্বাচিত কৰি শ্ৰীমতী গান্ধীৰ প্ৰতিয়েই নতুনকৈ আস্থা প্ৰকাশ কৰিলে। তাৰ আগতে ১২ এপ্ৰিলৰ ৱৰ্কিং কমিটিৰ বৈঠকতো অস্থায়ী সভাপতি নিৰ্বাচিত কৰা হৈছিল শ্ৰীস্বৰণ সিঙক—যি স্বৰণ সিঙে সংবিধান-সংশোধনী কমিটিৰ অধ্যক্ষৰূপে ৪২ নং সংশোধনীৰ চুপাৰিশ কৰি ভাৰতীয় নাগৰিকৰ মৌলিক

অধিকাৰ হৰণ কৰিছিল আৰু শ্ৰীমতী গান্ধীৰ একনায়কত্ববাদ প্ৰতিষ্ঠাত সহায় কৰিছিল। অন্যহাতে নিৰ্বাচনৰ আগমুহূৰ্তলৈকে যি দেৱকান্ত—সিদ্ধাৰ্থ শংকৰ—চন্দ্ৰজিৎ যাদৱৰ গোষ্ঠীয়ে ইন্দিৰা গান্ধীক দেৱীৰ দৰে পূজা কৰিছিল আৰু কোনে বেছিকৈ তেওঁক তোষামোদ কৰিব পাৰে তাৰ কাৰণে নিজৰ মাজতে প্ৰতিযোগিতা কৰিছিল, সেই ভদ্ৰলোকসকলে হঠাতে ৰাতিটোৰ ভিতৰতে হৈ পৰিল ইন্দিৰা গান্ধীৰ আটাইতকৈ ডাঙৰ শত্ৰু আৰু সমালোচক। এই লোকসকলে আজি এনেভাৱে কথা ক'বলৈ আৰম্ভ কৰিছে যেন ইন্দিৰা গান্ধী ক্ৰমে ক্ৰমে ডিক্টেটৰ কৰি তোলাত বা জৰুৰী অৱস্থাৰ কালছোৱাত সংঘটিত নানা পাপ-কাৰ্য্যত তেওঁলোকৰ কোনো ভূমিকাই নাছিল। নিৰ্বাচনত কংগ্ৰেছ কেনেবাকৈ জয়ী হোৱা হ'লে এই লোকসকলে কি কৰিলেহেঁতেন? বিন্দু মাত্ৰ সন্দেহ নাই যে জৰুৰী অৱস্থাৰ প্ৰতি জনসাধাৰণৰ পূৰ্ণ সমৰ্থন আছে বুলি নিশ্চিত হৈ তেওঁলোকে আৰু বহুলোকক জেললৈ পঠালেহেঁতেন, বহুতো বাতৰি কাকতক তলা-বন্ধ কৰিবলৈ বাধ্য কৰিলেহেঁতেন, ইন্দিৰা গান্ধীৰ নিৰ্লজ্জ প্ৰশস্তিত তেওঁলোকে আৰু বেছি মুখৰ হৈ উঠিলেহেঁতেন, সঞ্জয় গান্ধীৰ পদধূলি ল'বলৈ তেওঁলোকৰ মাজত হেতা-ওপৰা লাগিলেহেঁতেন। প্ৰায় দুবছৰৰ আগতে দেৱকান্ত বৰুৱাই ঘোষণা কৰিছিল যে ইন্দিৰাই ভাৰত। জৰুৰী অৱস্থাৰ ঘটনাৱলীয়ে তেওঁৰ জ্ঞানচকু মুকলি কৰা হ'লে নিৰ্বাচনৰ মাত্ৰ তিনি সপ্তাহ আগতেও তেওঁ সেই একে কথাকে কেতিয়াও নোদোহাৰিলেহেঁতেন। কিন্তু নিৰ্বাচনত যেই ইন্দিৰা গান্ধী পৰাজিত হ'ল, সেই মুহূৰ্তৰ পৰাই দেৱকান্ত বৰুৱাই তেওঁৰ পৌৰুষ ঘূৰাই পালে, ৰাতিটোৰ ভিতৰতে তেওঁ হৈ পৰিল গণতন্ত্ৰৰ ত্ৰাণকৰ্তা আৰু তথাকথিত প্ৰগতিশীল উপদলটোৰ নেতা। যি সিদ্ধাৰ্থশংকৰ ৰায়ে ইন্দিৰা গান্ধীক এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ৰায় মানি নল'বলৈ পৰামৰ্শ দিছিল, কু-খ্যাত ৪২ নং সংশোধনী ৰচনাত এটা প্ৰধান অংশ লৈছিল, জৰুৰী অৱস্থাৰ সুযোগ লৈ পশ্চিম বংগত অবাধ দমন-নীতি আৰু সন্ত্ৰাসৰ ৰাজত্ব চলাইছিল, সেই সিদ্ধাৰ্থ শংকৰ ৰায়ো আজি ইন্দিৰা গান্ধীৰ নিন্দাত পঞ্চমুখ। যি চন্দ্ৰজিৎ যাদৱে ব্যক্তিগত ক্ষমতাৰ লোভত উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমৱতীনন্দন বহুগুণাক পদচ্যুত কৰাত ইন্দিৰা গান্ধীৰ প্ৰধান অনুচৰ আৰু ষড়যন্ত্ৰকাৰীৰ ভূমিকা লৈছিল, গুণ্ডা বাহিনীৰ সহায়েৰে যুৱক কংগ্ৰেছৰ নেতা প্ৰিয়ৰঞ্জন দাসমুন্সীৰ সভা ভাঙি দি সঞ্জয় গান্ধীক যুৱক কংগ্ৰেছৰ সৰ্বেসৰ্বা পাতিছিল, সেই চন্দ্ৰজিৎ যাদৱে আজি এনে ভাও ধৰিছে যেন দেশত জৰুৰী অৱস্থা চলি থকা সময়ত তেওঁৰ জন্মই হোৱা নাছিল। চি পি আই-ওৱালাসকলৰ চকুত যি কেশৱদেও মালব্য কংগ্ৰেছৰ ভিতৰৰে 'প্ৰগতিশীল' অংশটোৰ উজ্জ্বলতম ৰত্ন, সেই মালব্যই তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ বিষয়াসকলৰ পৰামৰ্শ উলংঘা কৰি সঞ্জয় গান্ধীক লাখ লাখ টকাৰ ঠিকা দিছিল,—অথচ প্ৰগতিশীল (?) কংগ্ৰেছী বা চি পি আই-ওৱালাসকলৰ মুখত আজিলৈকে মালব্যৰ বিৰুদ্ধে এষাৰো মাত নাই। এনে চূড়ান্ত ভণ্ডামি দেশৰ মানুহে চিৰকাল সহ্য কৰি থাকিবনে? দিন পাৰ হৈ যোৱাৰ লগে লগে ডঃ কৰণ সিং, টি এ পাই, বালিৰাম ভগৎ আদি কংগ্ৰেছৰ পুঠি-খলিহাজাতীয় নেতাসকলৰ মুখত বিৰোৰ বীৰত্বপূৰ্ণ আস্ফালন শুনা গৈছে, সেইবোৰে মানুহক আনন্দ দিয়াৰ পৰিবৰ্তে তেওঁলোকৰ মনত তীব্ৰ ঘৃণা আৰু বিৰক্তিহে সঞ্চাৰ কৰিছে। ক'ত আছিল এইসকল বীৰপুৰুষ—যেতিয়া ইন্দিৰা গান্ধীয়ে নিজৰ ক্ষমতা-ৰক্ষাৰ স্বাৰ্থত সংবিধান, ন্যায়পালিকা আৰু কাৰ্যপালিকা আদি ৰাষ্ট্ৰৰ আধাৰস্বৰূপ প্ৰত্যেকটো অনুষ্ঠানক একালৰ পৰা মহটিয়াই নিছিল? ক'ত আছিল এইসকল বীৰপুৰুষ—যেতিয়া ইন্দিৰা গান্ধীয়ে ষাঠি কোটি ভাৰতীয়ৰ নেতা হোৱাৰ পৰিবৰ্তে স্নেহান্ধ মাতৃ হ'বলৈ গৈ সঞ্জয় গান্ধীৰ নিচিনা এজন

পাপসক্ত, উচ্ছৃংখল আৰু অপৰিণত-বুদ্ধি যুবকক ভাৰতৰ ভবিষ্যত ভাগ্য-বিধাতা পাতিবলৈ উঠি-পৰি লাগিছিল? ক'ত আছিল এইসকল বীৰপুৰুষ--যেতিয়া সঞ্জয় গান্ধীৰ নিৰ্দেশত দিল্লীৰ তুৰ্ক্‌মেন্‌ গেটত শ শ নিৰীহ মানুহক গুলীয়াই হত্যা কৰা হৈছিল? দিল্লী-হাৰিয়ানা-উত্তৰ প্ৰদেশৰ হাজাৰ হাজাৰ মুনিহৰ নছবন্দী কৰাৰ নিচিনাকৈ ইন্দিৰা গান্ধীয়ে কি এইসকল পুৰুষৰো moral vasectomy বা নৈতিক নছবন্দী কৰি পেলাইছিল? নীৰবতাৰ ষড়যন্ত্ৰৰ দ্বাৰা ইন্দিৰা-চক্ৰৰ প্ৰত্যেকটো কু-কাৰ্যক মাহৰ পিছত মাহ ধৰি অন্ধভাৱে সমৰ্থন কৰি অহাৰ পিছত আজি এইসকল লোকৰ ইন্দিৰা গান্ধীক সমালোচনা কৰিবলৈ কিবা নৈতিক অধিকাৰ আছেনে? যোৱা ৬ মে'ত দিল্লীত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাত হাৰিয়ানাৰ এজন সদস্য চুলতান সিঙে দেৱকান্ত বৰুৱা প্ৰমুখ্যে এই লোকসকলক উদ্দেশ্য কৰি কৈছিল ঃ "এই কাপুৰুষৰ দলটো কংগ্ৰেছত থকালৈকে কংগ্ৰেছৰ কোনো ভবিষ্যত নাই।" বংশীলালৰ বিশ্বস্ত অনুচৰ চুলতান সিঙৰ প্ৰতি কাৰো বিন্দুমান শ্ৰদ্ধা নাথাকিলেও অন্ততঃ তেওঁৰ এইবাৰ কথাত সকলোৱেই নিশ্চয় পৰম উৎসাহেৰে হয়ভৰ দিব।

এই 'কাপুৰুষৰ দল' কংগ্ৰেছত কিমান দিন থাকে--সেই কথা বহু পৰিমাণে নিৰ্ভৰ কৰিব অহা জুন মাহত হ'বলগীয়া বাৰখন ৰাজ্যৰ বিধান সভাৰ নিৰ্বাচনৰ ফলাফলৰ ওপৰত। কংগ্ৰেছৰ উগ্ৰতম আশাবাদীজনেও আশা নকৰে যে এই নিৰ্বাচনত এখন মাত্ৰ ৰাজ্যতো কংগ্ৰেছে চৰকাৰ গঠন কৰিব পৰাকৈ সংখ্যা-গৰিষ্ঠতা অৰ্জন কৰিব পাৰিব। সন্মানজনক আৰু শক্তিশালীভাৱে বিৰোধী দল গঠন কৰাটোৱেই কংগ্ৰেছৰ এতিয়া একমাত্ৰ লক্ষ্য। কিন্তু সেই লক্ষ্যও যদি পূৰণ নহয়, জনসাধাৰণৰ চকুত পুতৌৰ পাত্ৰ হোৱাকৈ কংগ্ৰেছ যদি শোচনীয়ভাৱে হাৰি যায়, তেন্তে উপায়ন্তৰ হৈ থকাসকলৰ বাহিৰে আন কোনোবা মানুহ কংগ্ৰেছত থাকিব বুলি বিশ্বাস নহয়। আনহাতে কংগ্ৰেছ শোচনীয়ভাৱে পৰাজিত হোৱাৰ সম্ভাৱনাই বেছি। বিৰাট ধনবল আৰু চৰকাৰী ক্ষমতাৰ অবিহনে নিৰ্বাচন-যুদ্ধ কৰাত কংগ্ৰেছ অভ্যস্ত নহয়; অথচ কংগ্ৰেছে এইবাৰ তাকেই কৰিব লাগিব। যোৱা লোকসভাৰ নিৰ্বাচনৰ কাৰণে কংগ্ৰেছে কোটি কোটি টকা সংগ্ৰহ কৰিছিল, কিন্তু কু-খ্যাত ক্ষমতা-চক্ৰটোৱে সেই সকলো টকা লুটি-পুটি লৈ গৈ কংগ্ৰেছক সম্পূৰ্ণ দেৱলীয়া কৰি এৰি থৈ গৈছে। শেহতীয়া হিচাপ মতে কেৱল বেংককেই কংগ্ৰেছে ৪ কোটি টকা ধাৰ পৰিশোধ কৰিব লগীয়া হৈ আছে। কংগ্ৰেছৰ বিভিন্ন ফ্ৰন্ট্‌, সংগঠনৰ কাৰণে চৰকাৰৰ পৰা ভাড়াত লোৱা ঘৰৰ কাৰণেও কংগ্ৰেছে কেন্দ্ৰীয় চৰকাৰক কেইবা কোটি টকা দিবলগীয়া হৈ আছে। এয়েই হ'ল কংগ্ৰেছৰ বৰ্তমান আৰ্থিক অৱস্থা। মৰা ঘোঁৰাত কোনেও বাজী নধৰাৰ দৰে এইবাৰ কংগ্ৰেছে ব্যৱসায়ী গোষ্ঠীৰ পৰাও দান-বৰঙণি পোৱাৰ আশা নাই। দ্বিতীয়তে, কংগ্ৰেছৰ হৈ নিৰ্বাচনী-অভিযান চলাবলৈ আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী কোনো নেতা সম্প্ৰতি কংগ্ৰেছত নাই। অভাৱনীয় পৰাজয়ৰ প্ৰচণ্ড আঘাতত ভগ্ন-প্ৰায় হৈ পৰা সত্বেও এতিয়াও ইন্দিৰা গান্ধীয়েই একমাত্ৰ crowd-drawer বা জনতাৰ ভীৰ টানিব পৰা নেতা। কিন্তু বিধান সভাবোৰৰ আগন্তুক নিৰ্বাচনত ইন্দিৰা গান্ধী কংগ্ৰেছৰ কিবা কামত লাগিবনে? তেওঁৰ বিৰুদ্ধে বহুৱো তদন্ত আয়োগবোৰৰ ৰিপৰ্ট যদি নিৰ্বাচনৰ ঠিক আগে আগে অকণ অকণকৈ ওলাবলৈ আৰম্ভ কৰে, তেন্তে ইন্দিৰা গান্ধীৰ ইতিমধ্যেই কলংকিত হোৱা ভাব-মূৰ্তি আৰু কিমান বেছি কলংকিত হ'ব? যদি নিৰ্বাচনৰ আগে আগে পুলিচে সঞ্জয় গান্ধীক গ্ৰেপ্তাৰ কৰে, তেন্তে ইন্দিৰা গান্ধীৰ নিৰ্বাচনী অভিযান চলাব পৰাকৈ মনোবল থাকিবনে? (দিল্লীৰ 'সাগৰ এপাৰ্টমেণ্ট্‌' নামৰ

এটা চৌবিশ মহলীয়া ঘৰৰ একেবাৰে ওপৰৰ মহলাত সঞ্জয় গান্ধীয়ে বাস কৰে। এই ঘৰৰ মালিক চিত্ৰাভিনেতা দিলীপ কুমাৰ আৰু তেওঁৰ সাগৰ নামৰ এজন পঞ্জাবী বন্ধু। প্ৰাণৰ আশংকা থকাৰ কাৰণে সঞ্জয় গান্ধী ঘৰ এৰি ক'লৈকো নোলায়। তাতেই যোৱা বহুদিন ধৰি তদন্তকাৰী পুলিচ বিষয়াই তেওঁক দিনে তিনি ঘণ্টাকৈ জেৰা কৰি আছে। সঞ্জয়ৰ সৌহাত বংশীলালেও সম্প্ৰতি প্ৰাণৰ আশংকাত আত্মগোপন কৰি আছে। কিন্তু তদন্ত আয়োগৰ আগত তেওঁ সাক্ষ্য দিবই লাগিব, আৰু তেতিয়া তেওঁৰ মুখেদি ওলোৱা কথাই ইন্দিৰা আৰু সঞ্জয়ক কিমান দূৰ সাঙোৰে, সেই কথা সম্প্ৰতি একমাত্ৰ ভগবানেহে জানে।) এসময়ত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ 'একমাত্ৰ পুৰুষ' বুলি খ্যাতি অৰ্জা ইন্দিৰা গান্ধীৰ সেই ভাবমূৰ্তি এতিয়া আৰু নাই। তিৰোতাই চিৰকাল কান্দিয়েই ৰণ জিকে বুলি যি কুখ্যাতি আছে, ইন্দিৰা গান্ধীৰ নিচিনা দুৰ্দ্ধৰ্ষা মহিলায়ো সেই কথাই সঁচা বুলি নতুনকৈ প্ৰমাণ কৰিছে। তেওঁ নিজৰ দুৰ্বলতা প্ৰকাশ কৰি প্ৰথম কান্দিবলৈ আৰম্ভ কৰিলে উৰিষ্যাত চলোৱা লোকসভাৰ নিৰ্বাচনী অভিযানৰ সময়ত। সেই প্ৰথম বাঘিনীৰ ছালৰ তলত থকা হৰিণীজনী মানুহৰ চকুত ধৰা পৰিল। তাৰ পিছত লোকসভাৰ নিৰ্বাচনত ধৰাশায়ী হোৱাৰ পিছৰ পৰা ইন্দিৰা গান্ধীয়েতো কেৱল কান্দিয়েই আছে। ১২ এপ্ৰিলৰ কংগ্ৰেছৰ ৱৰ্কিং কমিটিৰ সভাত যেতিয়া বংশীলালক বহিষ্কাৰ কৰাৰ প্ৰস্তাৱ উঠিল, তেতিয়া এচুকত ম্ৰিয়মাণ হৈ বহি থকা ইন্দিৰা গান্ধীয়ে হঠাৎ কান্দি-কাটি বাউলী হৈ 'মোকো বহিষ্কাৰ কৰা, মোকো বহিষ্কাৰ কৰা' বুলি চিঞৰি উঠিল। বহাগ বিহুৰ দিনা দেৱকান্ত বৰুৱাৰ ঘৰলৈ গৈ তেওঁ আৰু এসোঁতা কান্দিলে। যোৱা ৬ মে'ৰ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাতো তেওঁ কেৱল কান্দিয়েই ৰণ জিকিলে। কংগ্ৰেছক নিজৰ হাতত ৰাখিবলৈ এফালে ইন্দিৰা-গোষ্ঠী আৰু আনফালে দেৱকান্ত-সিদ্ধাৰ্থশংকৰ-চন্দ্ৰজিৎ গোষ্ঠীৰ তয়াময়া যুঁজ লাগিছিল। যুঁজত ইন্দিৰা-গোষ্ঠীৰ জয় হ'ল, কংগ্ৰেছ তেওঁলোকৰ দখলতে থাকিল। কিন্তু অশ্ৰু-বিগলিতা ইন্দিৰাৰ নেতৃত্ব গ্ৰহণ কৰিবলৈ ভাৰতৰ জনতা আকৌ এবাৰ সাজু হ'ব বুলি আশা কৰিব পাৰিনে?

কিবা এটা অভাৱনীয় অঘটন নঘটিলে ইন্দিৰা গান্ধীৰ কোনো ভৱিষ্যত নাই। তাতে যদি মাৰুতি, বংশীলাল আৰু নাগৰবালা কেলেংকাৰীৰ তদন্ত কৰিবলৈ পাতি দিয়া আয়োগবোৰৰ প্ৰতিবেদনে ইন্দিৰা গান্ধীক বেয়াকৈ স্পৰ্শ কৰে, তেন্তে তেওঁৰ ৰাজনৈতিক জীৱন খটম্।

এইবোৰ কথা জানি-শুনিয়েই কংগ্ৰেছৰ তৃতীয়টো বুজন অংশই যশোৱন্ত ৰাও চাৱনক কংগ্ৰেছৰ নতুন নেতা ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। আমেৰিকাৰ সাংবাদিক ওৱেলছ হেংগেনে ১৯৬৩ চনতে লিখা After Nehru Who? নামৰ কিতাপত যি আঠজন মানুহ ভাৰতৰ ভৱিষ্যত প্ৰধানমন্ত্ৰী হ'ব পাৰে বুলি ভৱিষ্যদ্বাণী কৰিছিল সেই আঠজনৰ ভিতৰত লাল বাহাদুৰ শাস্ত্ৰী, ইন্দিৰা গান্ধী আৰু মোৰাৰজী দেশাই ইতিমধ্যে ভাৰতৰ প্ৰধান মন্ত্ৰী হ'ল। জয়প্ৰকাশ নাৰায়ণ প্ৰধান মন্ত্ৰীতকৈ বহু ওপৰৰ ইতিহাস-নিৰ্মাতা হ'ল; কৃষ্ণ মেনন আৰু ব্ৰিজমোহন কৌল মৰিল; এতিয়া বাকী আছে কেৱল চাৱন আৰু পাটিল। এই দুজনৰ ভিতৰত পাটিলৰ ৰাজনৈতিক জীৱন নিঃশেষিতপ্ৰায়। হেংগেনে ভৱিষ্যদ্বাণী কৰিছিল যে চাৱন যদি কেতিয়াবা কেনেবাকৈ প্ৰধান মন্ত্ৰী হয়, তেন্তে তেৱেঁই আটাইতকৈ দীৰ্ঘ-স্থায়ী প্ৰধানমন্ত্ৰী হ'ব। ভৱিষ্যতে তেওঁ কেতিয়াবা প্ৰধানমন্ত্ৰী হ'বনে নহয়, সেই কথা এতিয়া অজানা ভৱিষ্যতৰ গৰ্ভত, কিন্তু এটা বিষয়ে বোধহয় কোনো সন্দেহ নাই যে কংগ্ৰেছৰ সম্প্ৰতি একমাত্ৰ আশা যশোৱন্তৰাও চাৱন। ৰাষ্ট্ৰীয় নেতা হ'বৰ কাৰণে প্ৰয়োজনীয় বহুতো গুণ তেওঁৰ গাত আছিল। তেওঁ মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত

জয়প্ৰকাশ নাৰায়ণে কৈছিল যে চাৱনেই ভাৰতৰ যোগ্যতম মুখ্যমন্ত্ৰী। তেওঁৰ এটা বাওঁপন্থী ভাবমূৰ্তিও আছে। তেওঁৰ নেতিবাচক গুণ দুটা হ'ল এই যে তেওঁ এতিয়াও মহাৰাষ্ট্ৰৰ মানসিক মানচিত্ৰৰ গণ্ডী অতিক্ৰম কৰি সৰ্বভাৰতৰ নেতা হ'বলৈ সচেষ্ট হোৱা নাই; দ্বিতীয়তে, তেওঁ সদায় দ্বিধাগ্ৰস্ত। এই দুয়োটা দুখ পৰিহাৰ কৰিব পাৰিলেহে তেওঁ সমগ্ৰ ভাৰতৰ নেতা হ'ব পাৰিব।

আগন্তুক মাহকেইটা কংগ্ৰেছৰ কাৰণে অতিশয় সংকটপূৰ্ণ। ঘটনা-প্ৰবাহে সদায় ইন্দিৰাক ধ্বংস কৰিব, নহয় ইন্দিৰাই কংগ্ৰেছক ধ্বংস কৰিব। কংগ্ৰেছৰ যি ভগ্নাৱশেষ থাকিব, তাৰ দায়িত্ব ল'বলৈ চাৱনৰ বাহিৰে দ্বিতীয় এজন মানুহ নাই। কিন্তু কংগ্ৰেছক বচাবলৈ হ'লে ইন্দিৰাই কংগ্ৰেছক সম্পূৰ্ণ ধ্বংস কৰাৰ আগতেই চাৱনে কংগ্ৰেছৰ দায়িত্ব ল'ব লাগিব, তেওঁৰ অনুগামীসকলে এতিয়া তাৰ কাৰণেই চাৱনৰ ওচৰত হেঁচা দিবলৈ আৰম্ভ কৰিছে।

জনতা পাৰ্টিয়ে কি ৰূপ লয়, তাৰ ওপৰতো কংগ্ৰেছৰ ভৱিষ্যত বহুখিনি নিৰ্ভৰ কৰিছে। জনতা পাৰ্টিৰ বৰ্তমানৰ কথা-কাণ্ড বৰ আশাপ্ৰদ নহয়। আগন্তু মাহকেইটা জনতাৰ পাৰ্টিৰ নেতৃবৃন্দৰ কাৰণেও অগ্নিপৰীক্ষাৰ সময়। বিধান সভাৰ নিৰ্বাচনত প্ৰাৰ্থীৰ কাৰণে জনতা পাৰ্টিৰ গোটবোৰৰ মাজত খোৱা-কামোৰা লাগিছে। আৰু এখন খোৱা-কামোৰাৰ পৰ্ব আৰম্ভ হ'ব নিৰ্বাচনৰ পিছত ৰাজ্য চৰকাৰবোৰৰ নেতা বা মুখ্যমন্ত্ৰী নিৰ্বাচনৰ সময়ত। তৃতীয় এটা সংকট আহিব পাৰে বছৰদিয়েকৰ পিছত বাৰ্দ্ধক্যৰ কাৰণে মোৰাৰজী দেশাইয়ে ৰাজনৈতিক দৃশ্য-পটৰ পৰা আঁতৰি যোৱাৰ ফলত নতুন নেতা নিৰ্বাচনৰ সময়ত অন্যান্য আদৰ্শগত দ্বন্দ্ববোৰৰ কথাতো আছেই।

কংগ্ৰেছৰ ভৱিষ্যত অনিশ্চিত। কিন্তু ভাৰতৰ গণতন্ত্ৰৰ ভৱিষ্যত নিৰাপদ আৰু সুনিশ্চিত কৰিবৰ কাৰণে আৰু এটা শক্তিশালী বৃহৎ ৰাজনৈতিক দলৰ একান্ত প্ৰয়োজন। এতিয়া দেশ এনে এটা দলৰ সন্ধানত বা প্ৰতীক্ষাত। সেই প্ৰতীক্ষাৰ কেতিয়া কেনেকৈ ওৰ পৰে, সেই প্ৰশ্নৰ উত্তৰ একমাত্ৰ ভৱিষ্যতৰ নিৰ্মীয়মান ইতিহাসেহে দিব পাৰিব। ইতিমধ্যে এটা নতুন সৰ্বভাৰতীয় দল গঢ়ি তুলি বা ৰাজ্যই ৰাজ্যই বহুতো নতুন আঞ্চলিক দল গঢ়ি উঠাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।

অ'. বি. চি.

সৌ সিদিনালৈকে অসমৰ এটা বিশেষ গৰ্ব আছিল এই যে ভাৰতৰ আন বহুতো ৰাজ্যৰ নিচিনাকৈ অসমত জাত-পাতৰ ৰাজনীতি বা সাম্প্ৰদায়িকতাৰ প্ৰভাৱ বৰ বেছি নাই; সেই মাৰাত্মক বিষক্ৰিয়াৰ পৰা অসম বহুলাংশে মুক্ত। ভাৰতীয় হিন্দু সমাজৰ এটা ডাঙৰ অভিশাপ হ'ল অস্পৃশ্যতা। গান্ধীজীয়ে বিদেশী ঔপনিবেশিক শাসনৰ বিৰুদ্ধে সংগ্ৰামক যিমান গুৰুত্ব দিছিল, অস্পৃশ্যতাৰ বিৰুদ্ধে সংগ্ৰামকো সিমানেই বা কেতিয়াবা তাতোকৈ বেছিহে গুৰুত্ব দিছিল। কিন্তু অস্পৃশ্যতাৰ যি ভয়ংকৰ ৰূপ সমগ্ৰ দাক্ষিণাত্য আৰু উত্তৰ ভাৰতৰ হিন্দীভাষী অঞ্চলবোৰত দেখা যায় তেনে ৰূপত অস্পৃশ্যতা অসমত কোনোদিনেই নাছিল। অসমত অনাৰ্য সংস্কৃতিৰ ব্যাপক প্ৰভাৱে হিন্দুয়ানীৰ চোকটো বহুত কমাই দিছিল। শংকৰদেৱৰ শিক্ষায়ো (কুকুৰ চণ্ডাল গৰ্দভৰো আত্মাৰাম... ইত্যাদি) অসমীয়া হিন্দু সমাজৰ দৃষ্টিভংগী উদাৰ কৰাত সহায় কৰিছিল। হিন্দু-মুছলমানৰ অনৈক্য বা সংঘৰ্ষ ভাৰতীয় সমাজৰ এটা ডাঙৰ জটিল সমস্যা। কিন্তু অসমীয়া হিন্দু-মুছলমানৰ মাজত কেতিয়াও কোনো ধৰণৰ সাম্প্ৰদায়িক সমস্যা নাছিল। লক্ষ্মীধৰ শৰ্মাই তেওঁৰ বিখ্যাত 'চিৰাজ' গল্পত অসমীয়া হিন্দু-মুছলমানৰ মিলাপ্ৰীতিৰ যি ছবি আঁকিছে সি লেখকৰ কল্পনা নহয়। অসমীয়া হিন্দু-মুছলমানৰ সম্পৰ্ক দৰাচলতে তেনেকুৱাই। তাৰ এটা প্ৰধান কাৰণ এয়ে হ'ব পাৰে যে ভাৰতৰ আন বহুতো ৰাজ্যৰ নিচিনাকৈ অসমৰ হিন্দুসকলে অতীতত কেতিয়াও মুছলমান শাসনৰ 'আতিশয্য' বা সাম্প্ৰদায়িক পক্ষপাতিতা সহ্য কৰিব লগা হোৱা নাছিল। ফলত মুছলমান সম্পৰ্কে তেওঁলোকৰ মনত কোনো বেদনাদায়ক স্মৃতি বা বিৰূপ মনোভাব নাই। ঠিক সেইদৰে আহোম-ৰাজত্বৰ বিভিন্ন সময়ত অসমলৈ আহি ইয়াত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা মুছলমানসকলেও কেতিয়াও ৰজা-প্ৰজা কাৰো পৰা বিজাতীয় ঘৃণা আৰু অৱহেলাৰ সন্মুখীন হ'বলগা হোৱা নাছিল। বৰং তেওঁলোকে নিজ নিজ যোগ্যতা অনুসৰি ৰজাঘৰৰ নানা উচ্চ বিষয়ৰ বাব পাই অসমীয়া সমাজত সন্মানজনকভাৱে প্ৰতিষ্ঠিত হৈছিল। ফলত অসমীয়া হিন্দু আৰু মুছলমানৰ মনত অতীতৰ এনে কোনো বেদনাদায়ক স্মৃতি নাই—যি স্মৃতিয়ে এই দুয়ো সম্প্ৰদায়ৰ সম্পৰ্কত তিক্ততা বা পাৰস্পৰিক বিদ্বেষভাৱৰ সৃষ্টি কৰিব পাৰে। তদুপৰি, ওপৰত কৈ অহাৰ দৰে অসমীয়া হিন্দু সমাজৰ উদাৰ দৃষ্টিভংগী আৰু লগতে গদাধৰ সিংহৰ দিনলৈকে গৰু-খোৱা, নব্য-হিন্দু আহোমসকলৰ উদাৰ শাসনেও হিন্দু-মুছলমানৰ মাজত ভ্ৰাতৃত্ব-বন্ধন তৈয়াৰ কৰাত সহায় কৰিছিল। মুঠতে ভাৰতৰ অন্যান্য ঠাইত থকাৰ দৰে হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সমস্যা অসমত কোনোদিনেই নাছিল, এতিয়াও নাই। মাজতে যদি নিতান্ত সাময়িকভাৱে এই সমস্যা অসমতো দেখা দিছিল, তাৰ কাৰণ আছিল জনদিয়েক স্বাৰ্থান্বেষী ৰাজনৈতিক নেতাৰ উচটনি, আৰু লগতে পূৰ্ববংগৰ পৰা অসমলৈ অহা মুছলমানসকলে শ শ বছৰ ধৰি হিন্দু জমিদাৰৰ হাতত ভুগি অহা শোষণ আৰু অত্যাচাৰৰ বিষ-স্মৃতি। অসমীয়া সংস্কৃতিৰ ৰূপটোৱেই এনেকুৱা যে এই ৰাজনৈতিক উচটনি আৰু বিষ-স্মৃতি বেছিদিন স্থায়ী নহ'ল। স্থায়ী মিলনৰ মধুৰ ঐকতানৰ মাজত সাময়িক বিৰোধৰ বেসুৰীয়া আৱাজ সম্পূৰ্ণৰূপে বিলীন হৈ গ'ল।

অস্পৃশ্যতা বা হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সমস্যাই ভাৰতীয় সমাজৰ একমাত্ৰ সমস্যা নহয়। যুগ যুগ ধৰি জাতিভেদ প্ৰথাই হিন্দু সমাজক যি atomisation বা আণৱিকীকৰণৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে, তাৰ

পৰিণাম স্বৰূপে হিন্দু সমাজৰ প্ৰচণ্ড অন্তৰ্বিৰোধ এই দেশৰ উন্নতিৰ পথত এটা ডাঙৰ হেঙাৰ হৈ আছে। হিন্দীভাষী উত্তৰ ভাৰতত এই Caste politics বা জাত-পাতৰ ৰাজনীতি ইমান এটা ডাঙৰ জটিল সমস্যা যে সমাজবাদৰ নামাৱলীয়ে সেই অঞ্চলৰ নেতাসকলৰ আচল স্বৰূপটো আজিও ঢাকি ৰাখিব পৰা নাই। আনকি মাৰ্ক্সবাদী দলবোৰেও জাত-পাতৰ দোহাই দিহে সেইবোৰ অঞ্চলত নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰাবলগীয়া হয় বা ভোট খুজিব লগা হয়। মুখেৰে তেওঁলোকে যিমানে সমাজবাদ, ধৰ্ম-নিৰপেক্ষতা আৰু প্ৰগতিবাদৰ বিষয়ে বৰ বৰ কথা নকওক কিয়, আচলতে তেওঁলোকে কোনোৱেই জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে এখন সুসংহত আধুনিক সমাজৰ নেতা নহয়। তেওঁলোক কোনোবা জাট্-নেতা, কোনোবা ভূমি-হৰ-নেতা, কোনোবা ব্ৰাহ্মণ-নেতা—ইত্যাদি। হিন্দীভাষী উত্তৰ ভাৰতত এই জাত-পাতৰ ৰাজনীতিৰ কু-প্ৰভাৱ কম হৈ অহাৰ পৰিবৰ্তে দিনে দিনে বাঢ়িবহে লাগিছে। কংগ্ৰেছ শাসনৰ অন্যতম ডাঙৰ কলংক আৰু ব্যৰ্থতা এইটোৱেই যে শিক্ষাৰ দ্ৰুত বিস্তাৰ আৰু প্ৰগতিশীল সামাজিক আদৰ্শৰ প্ৰচাৰৰ দ্বাৰা ভাৰতীয় সমাজৰ আধুনিকীকৰণ ত্বৰান্বিত কৰাৰ পৰিবৰ্তে এই দলে ধৰ্মীয় সংকীৰ্ণতা আৰু জাতি-ভেদ প্ৰথা দীৰ্ঘস্থায়ী কৰাতহে সহায় কৰিলে। সমাজক উন্নতিৰ বাটত আগুৱাই নিব খোজা আধুনিক প্ৰগতিশীল আদৰ্শৰ যিসকলে বিৰোধিতা কৰে বা যিসকল লোকে অতীতৰ ক্ষতিকৰ নীতি-নিয়ম আৰু আদৰ্শবোৰ সাবটি থাকিব খোজে, সেইসকল লোককে প্ৰতিক্ৰিয়াশীল বুলি কোৱা হয়। এই অৰ্থত কংগ্ৰেছো এই প্ৰতিক্ৰিয়াশীল দল, কাৰণ এই দলে যোৱা বহুবছৰ ধৰি ৰাজনৈতিক স্বাৰ্থত জাতিভেদ প্ৰথাক জীয়াই ৰাখিছে আৰু হিন্দু সমাজৰ আধুনিকীকৰণৰ পথত অন্তৰায়ৰ সৃষ্টি কৰিছে। অৱশ্যে এই ক্ষেত্ৰত জনতা পাৰ্টিৰ ভূমিকা কংগ্ৰেছতকৈ অধিক ক্ষতিকাৰক আৰু প্ৰতিক্ৰিয়াশীল হ'ব পাৰে।

সি যি কি নহওক, আমাৰ বক্তব্য এয়েই যে ভাৰতৰ অন্যান্য ৰাজ্যৰ নিচিনাকৈ অসমত অস্পৃশ্যতা আৰু হিন্দু-মুছলমানৰ সমস্যা যেনেকৈ উৎকট নাছিল, ঠিক তেনেকৈ জাত-পাতৰ সমস্যাও অসমত কোনোদিনেই এটা ডাঙৰ সমস্যা নাছিল। তাৰ এটা কাৰণ হ'ল অসমীয়া হিন্দু সংস্কৃতিত অনাৰ্য প্ৰভাৱৰ প্ৰাধান্য। আহোম, চুতীয়া, মিচিং, কছাৰী, কোঁচ আদি যিসকল লোক অসমীয়া হিন্দু সমাজৰ সংখ্যাগৰিষ্ঠ সম্প্ৰদায়, তেওঁলোকৰ সকলোৱেই মংগোলীয় গোষ্ঠীসম্ভূত নব্য-হিন্দু বা ধৰ্মান্তৰিত হিন্দু। যোৱা যি এহাজাৰ বছৰ ধৰি অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া চলি আছিল (আৰু এতিয়াও চলি আছে), সেই দীঘলীয়া কালছোৱাত অসমত বিশুদ্ধ আৰ্য-বংশোদ্ভূত সনাতনী হিন্দুৰ শাসন চলা নাছিল; চলিছিল কোঁচ, চুতীয়া, কছাৰী, আহোমৰ ৰাজত্ব। ফলত এইসকল লোকে সনাতনী হিন্দুসকলৰ দ্বাৰা ঘৃণিত বা অপাংক্তেয় হোৱাৰ বেদনাদায়ক দীৰ্ঘ-স্মৃতি বহন কৰিবলগা হোৱা নাই। বৰং ব্ৰাহ্মণ-কায়স্থ আদি তথাকথিত উচ্চ বৰ্ণৰ হিন্দুসকলেই আছিল কোঁচ-কছাৰী-আহোমৰ আশ্ৰিত আৰু অনুগ্ৰহ-প্ৰাপ্ত। তদুপৰি এহাতে যেনেকৈ অসমৰ মাংসভোজী ব্ৰাহ্মণসকল উত্তৰ বা দক্ষিণ ভাৰতৰ ব্ৰাহ্মণসকলৰ তুলনাত আছিল অতিশয় উদাৰ সহনশীল, আনহাতে তেনেকৈ নব্য-হিন্দু আহোম, কছাৰী আৰু মিচিঙে মদ-গাহৰি খায়ো বা নিজৰ বহুতো অহিন্দু ক্ৰিয়া-কাণ্ড পালন কৰি থাকিও হিন্দু সমাজত লীণ যোৱাৰ অধিকাৰ পাইছিল। ভাৰতৰ আন ঠাইত এনে ঘটনা ঘটা নাই। এই প্ৰসংগতে স্মৰ্তব্য যে ব্ৰিটিছ-পূৰ্ব অসমৰ আটাইতকৈ ডাঙৰ সাম্প্ৰদায়িক সংঘৰ্ষটো অৰ্থাৎ মোৱামৰীয়া বিদ্ৰোহ বৰ্ণ-হিন্দুৰ আধিপত্য বা অত্যাচাৰৰ বিৰুদ্ধে সংঘটিত হোৱা নাছিল। সেই জুই জ্বলিছিল নটীৰ কন্যা আৰু আহোম নৃপতিৰ জায়া ফুলেশ্বৰী কুঁৱৰীৰ বিৰুদ্ধে; বিদ্ৰোহ হৈছিল আহোম-শাসনৰ বিৰুদ্ধে। মুঠতে, নানা ঐতিহাসিক কাৰণত জাতি-ভেদ প্ৰথাই অসমীয়া হিন্দু সমাজত উত্তৰ ভাৰতৰ নিচিনাকৈ কেতিয়াও বিষাক্ত বা প্ৰবল ৰূপ লোৱা নাছিল। সম্পূৰ্ণ মিলন বা সংহতিৰ পথত কিবা যদি

অন্তৰায় দেখা দিছিল, তাৰ প্ৰধান কাৰণ আছিল বিবৰ্তনৰ পথত বিভিন্ন জাতি-গোষ্ঠীৰ অগ্ৰগতিৰ হীন-ডেটি। নিম্নবৰ্গ-হিন্দুৰ ওপৰত উচ্চবৰ্ণ হিন্দুৰ অন্যায় আধিপত্য নহয়।

এইখিনি কথা কোৱা অৰ্থ এইটো নহয় যে অসমীয়া হিন্দু সমাজ সকলো প্ৰকাৰৰ জাতি-বিচাৰৰ প্ৰভাৱৰ পৰা মুক্ত এখন আদৰ্শ সমাজ আছিল। ব্ৰাহ্মণ-কায়স্থসকলে তেওঁলোকৰ অবচেতন মনত এটা স্মৃতি পুহি ৰাখিব পাৰে যে আহোমৰাজ গদাধৰ সিংহই বৈষ্ণৱসকলৰ ওপৰত নিৰ্যাতন কৰিছিল। কিন্তু গদাধৰ সিংহ যে কোনো সাম্প্ৰদায়িক মনোভাৱৰ দ্বাৰা চালিত হোৱা নাছিল, বুৰঞ্জীত তাৰ স্পষ্ট প্ৰমাণ আছে। ধৰ্মানুসৰণৰ নাম কৰি এক শ্ৰেণীৰ মানুহে সমাজৰ ৰঘুমলা হোৱাৰ দৃশ্যটো তেওঁ সহ্য কৰিব পৰা নাছিল; কিন্তু জোৰ-জবৰদস্তি কৰি সেই মানুহবোৰক কামত লগাইছিল। গদাধৰ সিংহই সত্ৰৰ কেৰুণীয়া বহি-খোৱা ভকতসকলৰ বিৰুদ্ধে যি ব্যৱস্থা লৈছিল, ৰাছিয়াৰ পিটাৰ দ্য গ্ৰেটে খ্ৰীষ্টিয় মঠৰ সন্ন্যাসীসকলৰ বিৰুদ্ধে আৰু মাও চে টুঙে চীনৰ বুদ্ধিজীৱীসকলৰ বিৰুদ্ধে ঠিক একে ব্যৱস্থাই লৈছিল। বিশেষকৈ পিটাৰ দ্য গ্ৰেটৰ এটা কামৰ লগত গদাধৰ সিংহৰ আচৰিত মিল দেখা যায়। হেৰল্ড নিকলছনে লিখিছে : His administrative reforms were also devised to strenghten his own autocracy and to provide further man-power for the military forces. He drastically disciplined the monasteries, which had proved too facile sanctuary for young men desiring to evade military service। সি যি কি নহওক, আহোম শাসনৰ জাত বিচাৰৰ কু-প্ৰভাৱে বা হিন্দুয়ানীৰ গোড়ামীয়ে অসমীয়া সমাজত বিশেষ একো সমস্যাৰ সৃষ্টি কৰিব পৰা নাছিল। আহোম শাসন আছিল এক প্ৰকাৰৰ মেৰিট'ক্ৰেচি; সাতঘৰীয়া আহোমৰ কাৰণে সংৰক্ষিত কেইটামান উচ্চ বিষয়বাবৰ বাহিৰে বাকী আটাইবোৰ ৰজাঘৰীয়া বিষয় হিন্দু-মুছলমান, বামুণ-শুদিৰ নিৰ্বিশেষে সকলোৱে পাব পাৰিছিল। ব্ৰাহ্মণৰ বুদ্ধি আৰু বাক-পটুতাৰ কাৰণে কটকীৰ বিষয়বাব আছিল ব্ৰাহ্মণৰ একচেতীয়া। মুছলমান আৰু কৈৱৰ্তই হাজৰিকা-শইকীয়াৰ পদ পাইছিল। কছাৰীৰ পতালী ৰবৰুৱা হৈছিল। ফলত আহোম শাসনত কোনো ধৰ্মীয় সাম্প্ৰদায়িক সমস্যা নাছিল। কিন্তু ব্ৰিটিছ শাসনত অসমতো সাম্প্ৰদায়িকতাৰ সূত্ৰপাত হ'ল। তাৰে ভিতৰত ছাৰ ছাদুল্লাৰ নেতৃত্বত আৰম্ভ হোৱা মুছলমান সাম্প্ৰদায়িকতা আছিল সৰ্বভাৰতীয় সাম্প্ৰদায়িক ৰাজনীতিৰ অৱশ্যম্ভাৱী ফল। কিন্তু অসমীয়া হিন্দু সমাজৰ ভিতৰত আৰম্ভ হোৱা জাত-পাতৰ বিচাৰ বা সাম্প্ৰদায়িক ৰাজনীতিৰ আলোচনা প্ৰসংগত প্ৰথমে উল্লেখ কৰিব পাৰি চল্লিশৰ দশকত উগ্ৰ ৰূপ ধাৰণ কৰা আহোমসকলৰ সাম্প্ৰদায়িক আন্দোলনৰ কথা। এটা সাংস্কৃতিক অনুষ্ঠান হিচাপে আৰম্ভ হোৱা আহোম সভাই চল্লিশৰ দশকৰ সোঁ মাজত সাম্প্ৰদায়িক ভিত্তিত বিধান সভাত সুকীয়া প্ৰতিনিধিত্বৰ দাবী কৰি এটা প্ৰবল আন্দোলনৰ সূচনা কৰে। সাম্প্ৰদায়িক ৰাজনীতিৰ ক্ৰেদাক্ত পথলৈ আহোমসকলক কিহে ঠেলি দিছিল? আপাতদৃষ্টিত এটা নিতান্ত তুচ্ছ ঘটনাই। এবাৰ আউনীআটীয়া সত্ৰাধিকাৰে চকৰ কৰিবলৈ আহি দিখৌৰ পাৰত বাহৰ কৰি আছিল। গোসাঁই-ঈশ্বৰৰ দৰ্শনাৰ্থী ভকতসকলক খুৱাবলৈ দিখৌ নৈৰ বুকুত এখন নাৱত কোমল চাউল তিয়াই থোৱা হৈছিল। ওচৰৰে গাঁৱৰ এজন হোজা আহোম মানুহে নৈত মুখ-হাত ধুই খন্তেক জিৰাবৰ কাৰণে সেই কোমল চাউল তিয়াই থোৱা নাওখনৰ টিঙতে বহিল। গোসাঁইৰ এজন আলধৰাই দৃশ্যটো দেখিয়েই আহোমৰ স্পৰ্শত জলপানৰ নাওখন চুৱা হ'ল বুলি চিঞৰ-বাখৰ কৰি আহোম মানুহজনৰ চকুৰ আগতে গোটেই নাৱৰ কোমল চাউল দিখৌৰ পানীত পেলাই দিলে। সেই কাৰ্যই হোজা আহোমজনক তীৱল ক্ৰুদ্ধ কৰি তুলিলে। আহোমসকল ইমানেই অস্পৃশ্য নে যে তেওঁ নাওখনৰ টিঙত বহিলেও গোটেই নাও জলপান চুৱা হ'ব লাগে? তেওঁ কোৱাকুৱিকৈ ঘৰলৈ গ'ল আৰু আহোমসকলৰ সমাজ চপাই নিজৰ মৰ্মবেদনা প্ৰকাশ কৰিলে। এই সামান্য ঘটনাটোৱেই আহোমসকলক বৰ্ণ-হিন্দু-বিৰোধী

সাম্প্ৰদায়িক আবেগেৰে উদ্দীপ্ত কৰি তুলিলে। কিন্তু কু-সংস্কাৰাচ্ছন্ন মুষ্টিমেয় বামুণ-গোসাঁইৰ অবিবেচক কাৰ্যই সকলো আহোমৰ শুভবুদ্ধিক বিফল কৰিব নোৱাৰিলে। ১৯৪৫ চনৰ নিৰ্বাচনত আহোম সভাই সাম্প্ৰদায়িক দাবীত আহোম প্ৰধান লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাত বাৰজন প্ৰাৰ্থী থিয় কৰাইছিল। তেওঁলোকৰ দাবীৰ প্ৰতি ছাদুল্লা মন্ত্ৰীসভাৰ পূৰ্ণ সমৰ্থন আৰু সক্ৰিয় সহযোগিতা আছিল। আহোম সভাৰ প্ৰধান নেতা সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞি নিজে আছিল মন্ত্ৰীসভাৰ অন্যতম সদস্য। তদুপৰি আহোম প্ৰাৰ্থীসকলৰ ভিতৰত আছিল সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞি আৰু অধ্যাপক পদ্মেশ্বৰ গগৈৰ লেখীয়া মানুহ। কিন্তু তথাপি, আহোম সাম্প্ৰদায়িকতাৰ সেই উন্মাদময় দিনবোৰতো, ১৯৪৫ চনৰ নিৰ্বাচনত বাৰজন আহোম প্ৰাৰ্থীয়ে পৰাজিত হ'ল। সিয়েই প্ৰমাণ কৰিলে যে সৰ্বসাধাৰণ আহোম ৰাইজ সাম্প্ৰদায়িক ৰাজনীতিৰ দ্বাৰা প্ৰভাৱিত নহয়।

১৯৪৭ চনত দেশ স্বাধীন হ'ল আৰু লগে লগে অসমত সাম্প্ৰদায়িক ৰাজনীতিৰ অৱসান ঘটিল। ছাৰ ছাদুল্লাই কংগ্ৰেছত যোগ দি গণ-পৰিষদৰ প্ৰতিনিধি নিৰ্বাচিত হ'ল আৰু সংবিধানৰ খচৰা প্ৰস্তুতকাৰী ৯ জনীয়া কমিটিৰ সদস্য হ'ল। সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞিয়ে কংগ্ৰেছত যোগ দি লোকসভালৈ নিৰ্বাচিত হ'ল আৰু ১৯৫২ চনত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথম অসমীয়া উপমন্ত্ৰী হ'ল। স্বাধীনতাৰ আগতে অধ্যাপক পি এম চাৰোৱানৰ নেতৃত্বত গঢ়ি উঠা আন এটা সাম্প্ৰদায়িক দল সৰ্বদল বিলুপ্ত হ'ল। এসময়ত সাম্প্ৰদায়িক ৰাজনীতি কৰা অসম ট্ৰাইবেল লীগে নিজৰ কৰ্মক্ষেত্ৰ কেৱল সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ সংকুচিত কৰিলে। মুছলিম লীগ অসমৰ পৰা সম্পূৰ্ণ বিলুপ্ত হ'ল। এইদৰে অসমত সাম্প্ৰদায়িকতাৰ বিষ-মুক্ত এটা নতুন ৰাজনৈতিক বাতাবৰণৰ সৃষ্টি হ'ল।

কিন্তু বহু বছৰৰ মূৰত অসমত নতুনকৈ সাম্প্ৰদায়িক ৰাজনীতিৰ সূচনা কৰিলে শ্ৰীশৰৎ চন্দ্ৰ সিংহ আৰু তেওঁৰ মন্ত্ৰীসভাই ১৯৭২ চনৰ পৰা।

যদি শ্ৰীশৰৎচন্দ্ৰ সিংহ আৰু তেওঁৰ মন্ত্ৰীসভাই অসমত এক নতুন সাম্প্ৰদায়িকতাবাদৰ সূচনা কৰিলে, তথাপি সত্যৰ খাটিৰত স্বীকাৰ কৰিব লাগিব যে এই নতুন সাম্প্ৰদায়িকতাৰ শ্লোগান অসমত প্ৰথম আৰম্ভ কৰিলে শ্ৰীদেৱকান্ত বৰুৱাই।

দেৱকান্ত বৰুৱাৰ জীৱনত কোনোবা এসময়ত নিশ্চয় এনে এটা ঘটনা ঘটিছিল—যি ঘটনাই তেওঁক উগ্ৰ ব্ৰাহ্মণ-বিদ্বেষী কৰি তুলিছিল। তেওঁ এই ব্ৰাহ্মণ-বিদ্বেষ কেতিয়াও গোপন কৰিবলৈ চেষ্টা কৰা নাই। মাজে মাজে তেওঁৰ এই ব্ৰাহ্মণ-বিদ্বেষে পেথলজিকেল ৰূপ লয়। কিন্তু আচৰিত কথা এইটোৱে যে তেওঁৰ এই বিদ্বেষ কেৱল অসমীয়া ব্ৰাহ্মণসকলৰ মাজতে সীমাবদ্ধ। কেন্দ্ৰত গান্ধী উমাশংকৰ দীক্ষিত, কমলাপতি ত্ৰিপাঠী, ললিতনাৰায়ণ মিশ্ৰ, শংকৰদয়াল শৰ্মা আদি ব্ৰাহ্মণসকলৰ ৰাজত্ব চলিল। তেওঁৰ মতে হিন্দু সমাজৰ প্ৰগতিত দুৰ্লংঘ্য বাধাৰ সৃষ্টি কৰে কেৱল অসমীয়া ব্ৰাহ্মণকেইজনেহে।

দেৱকান্ত বৰুৱাই অৱশ্যে তেওঁৰ এই জাতি-বিদ্বেষক এটা শ্ৰুতিমধুৰ তাত্ত্বিক ৰূপ দিবলৈ চেষ্টা কৰিছিল। তেওঁৰ এটা বিখ্যাত পুনৰাবৃত্তি উক্তি হ'ল এই যে ইউৰোপৰ সমস্যা হ'ল কেৱল ধনী-দুখীয়াৰ সমস্যা; গতিকে কেৱল অৰ্থনৈতিক শ্ৰেণী বিলুপ্তিয়েই তাত সামাজিক সমতা আৰু ন্যায় প্ৰতিষ্ঠা কৰিব পাৰে। কিন্তু ভাৰতৰ সমস্যা কেৱল ধনী-দুখীয়াৰ সমস্যা নহয়। তাৰ লগতে ইয়াত আছে উচ্চজাত আৰু নীচজাতৰ সমস্যা। অৰ্থাৎ ইয়াত অৰ্থনৈতিক শোষণৰ লগতে আছে জাত বিচাৰৰ নামত সামাজিক শোষণ আৰু নিৰ্যাতনৰ সমস্যা। গতিকে ভাৰতত অৰ্থনৈতিক বিপ্লৱৰ লগে লগে এটা সামাজিক বিপ্লৱো হ'ব লাগিব।

দেবকান্ত বৰুৱাৰ এই সিদ্ধান্তৰ লগত একমত হোৱাত কোনো আপত্তি নাই। ইউৰোপত ধনী শ্ৰেণীৰ মানুহৰ মাজত বেলেগ আন একো পাৰ্থক্য বা শ্ৰেণী-বৈষম্য নাই। কিন্তু ভাৰতত এজন ধনী ব্ৰাহ্মণ বা কায়স্থই এজন ধনী হৰিজনক কেতিয়াও একে শাৰীতে ঠাই নিদিয়ে; অৰ্থনৈতিক সমতা থাকি যোৱাৰ পিছতো ইয়াত থাকি যাব সামাজিক অসমতা। গতিকে দেবকান্ত বৰুৱাৰ ভাষাতেই ক'বলৈ গ'লে ভাৰতত অৰ্থনৈতিক বিপ্লৱৰ লগে লগে এটা সামাজিক বা সাংস্কৃতিক বিপ্লৱো নিশ্চয় সংঘটিত হ'ব লাগিব। কিন্তু সেই বিপ্লৱৰ ৰূপ কি হ'ব লাগিব-অসমত দেবকান্ত বৰুৱা আৰু শৰৎচন্দ্ৰ সিংহই সূচনা কৰা বিধৰ সাম্প্ৰদায়িক ভেদ-বুদ্ধিৰ ৰাজনীতি? Communalism a revolution? my foot!

উনবিংশ শতাব্দীতেই ভাৰতৰ এই সামাজিক বিপ্লৱ আৰম্ভ হৈছিল আৰু তাৰ নেতৃত্ব লৈছিল বংগদেশে। সেই ইতিহাস এক বিৰাট মহাভাৰত। ইয়াত প্ৰসংগক্ৰমে মাত্ৰ দুই-এটা কথা উল্লেখ কৰিলেই যথেষ্ট হ'ব। ১৮১৩ চনত বিলাতৰ হাউছ অব্ কমন্সে নিৰ্দেশ দিলে যে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে বছৰি একলাখ টকা খৰচ কৰিব লাগে। প্ৰাচীন পন্থীসকল উঠি-পৰি লাগিল যে এই টকা সংস্কৃত ভাষাৰ শিক্ষাৰ কাৰণেই খৰচ কৰিব লাগিব। কিন্তু ভাৰতীয় নব-জাগৰণৰ জনক ৰাজা ৰামমোহন ৰায়ে সবল যুক্তি দেখুৱাই চিঠি লিখিলে যে সংস্কৃত শিক্ষাৰ কাৰণে নহয়, ভাৰতীয়সকলক গণিত, প্ৰাকৃতিক-দৰ্শন, ৰসায়ন, জ্যোতিৰ্বিজ্ঞান আৰু অন্যান্য কাৰ্যকৰী বিষয়ত শিক্ষা দিবৰ কাৰণেহে এই টকা খৰচ কৰিব লাগিব। অৱশেষত ৰামমোহন ৰায়ৰ যুক্তিয়েই বৰ্তিল। ইউৰোপীয় আদৰ্শৰ লিবাৰেল শিক্ষাৰ প্ৰচাৰেইহে ভাৰতত এটা বিৰাট সামাজিক বিপ্লৱৰ সূচনা কৰিছিল, সেই কথা আজি কোনোৱাই অস্বীকাৰ কৰিব পাৰেনে? ঠিক সেইদৰে সংস্কৃত-পণ্ডিত-শিৰোমণি ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে অকলশৰে বহু হাজাৰ বছৰ ধৰি নিৰ্মিত এক বিৰাট সামাজিক অচলায়তনৰ বিৰুদ্ধে যুদ্ধ কৰি বিধৱা-বিবাহ প্ৰচলন কৰিছিল আৰু সিয়েই হিন্দু সমাজৰ আধুনিকীকৰণৰ সূচনা কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে উনবিংশ শতাব্দীত আৰম্ভ হোৱা এই সমাজ-বিপ্লৱ দিনে দিনে সবলতৰ কৰি তোলাৰ পৰিবৰ্তে গান্ধীজীৰ নেতৃত্বাধীন জাতীয় আন্দোলনে তাৰ গতিবেগ ব্যাহত কৰি তুলিলে। অস্পৃশ্যতাৰ বিৰুদ্ধে সংগ্ৰাম কৰি তেওঁ নিশ্চয় এটা প্ৰশংসনীয় কাম কৰিছিল। কিন্তু তাৰ লগে লগে ৰাজনৈতিক আন্দোলনৰ ওপৰত এটা ডাঠ ধৰ্মীয় প্ৰলেপ সানি দি তেওঁ সামাজিক বিপ্লৱক প্ৰায় খটম কৰি পেলাইছিল। গো-ৰক্ষা আৰু হিন্দুৰ চতুৰ্বৰ্ণ ৰক্ষাৰ সপক্ষে গান্ধীজীয়ে দেখুওৱা ধৰ্মীয় উন্মাদনাই ভাৰতত হিন্দু ৰক্ষণশীলতা আৰু জাতিভেদ প্ৰথাক দীৰ্ঘস্থায়ী কৰি তুলিলে। ভাৰতৰ জাতীয় আন্দোলনৰ এটা ডাঙৰ ব্যৰ্থতা হ'ল এইটোৱেই যে ই খাইকৈ এটা ৰাজনৈতিক আন্দোলন হৈয়েই থাকিল; তাৰ লগে লগে সামাজিক আৰু অৰ্থনৈতিক বিপ্লৱ সৃষ্টি কৰিবৰ কাৰণে কোনো চেষ্টা কৰা নহ'ল।

আজি দেবকান্ত বৰুৱা আৰু শৰৎচন্দ্ৰ সিংহই অসমত সেই বিপ্লৱ কৰিব খুজিছে। কেনেকৈ? তেওঁলোকৰ প্ৰথম প্ৰতিপাদ্য বিষয় হ'ল এইটোৱেই যে বামুণ-কায়স্থ-কলিতা আদি তথাকথিত উচ্চবৰ্ণৰ হিন্দুবিলাক সংখ্যাত মাত্ৰ এমুঠিমান হোৱা সত্ত্বেও নিজৰ বুদ্ধি-বৃত্তি আৰু সুবিধাজনক স্থিতিৰ জোৰত তেওঁলোকেই অসমৰ ৰাজনীতি আৰু চাকৰি-বাকৰি আদিৰ ক্ষেত্ৰত ইমানদিনে প্ৰভুত্ব কৰি আহিছে। অতএব তেওঁলোকক সেই প্ৰভুত্বৰ আসনৰ পৰা চ্যুত কৰিব নোৱাৰালৈকে বাকী লোকসকলৰ আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক উন্নতি অসম্ভৱ। কিন্তু সেইটো কৰাৰ উপায় কি? সেইটো কৰাৰ উপায় হ'ল: (১) অনুন্নত সম্প্ৰদায়ৰ লোকসকলে ৰাজনৈতিক ক্ষমতা দখল কৰিব লাগিব; (২) সেই ক্ষমতা দীৰ্ঘস্থায়ী কৰিবৰ কাৰণে বামুণ-কায়স্থ-কলিতাৰ বাহিৰে বাকী আন সকলো সম্প্ৰদায়ৰ লোকক সংগঠিত আৰু একত্ৰিত কৰি বামুণ-

কায়স্থ-কলিতাৰ অৱস্থা চক্ৰব্যূহৰ মাজত অভিমন্যুৰ নিচিনা কৰিব লাগিব; (৩) উচ্চবৰ্ণৰ হিন্দুসকল যিহেতু ইতিমধ্যেই বহুত আগবাঢ়ি গ'ল, গতিকে তেওঁলোকক আৰু আগবাঢ়িবলৈ সুবিধা নিদি, অৰ্থাৎ য'ৰ মানুহ ত'তে ৰাখি অন্যান্য অনুন্নত সম্প্ৰদায়ৰ লোকসকলক পক্ষপাতমূলক ৰাজনৈতিক পৃষ্ঠপোষকতাৰ দ্বাৰা আগবাঢ়ি যাবলৈ সুবিধা দিব লাগিব; (৪) এটা উচ্চবৰ্ণ বিৰোধী মনোভাৱ জগাই ৰাখি সাম্প্ৰদায়িক ভেদ-বুদ্ধিৰ দ্বাৰা জনজাতি, অনুসূচিত সম্প্ৰদায়, মুছলমান আৰু অ.বি.চি. (অন্যান্য পিছপৰা সম্প্ৰদায়)ক একত্ৰিত আৰু সংগঠিত কৰি ৰাখিব পাৰিলে বৰ্ণ-হিন্দুসকলক আৰু বহু বছৰৰ কাৰণে কাৰ্যকৰী ৰাজনৈতিক ক্ষমতাৰ পৰা বঞ্চিত কৰি ৰাখিব পৰা যাব।

ভাৰতীয় সংবিধানে দুটা জনগোষ্ঠী বা সম্প্ৰদায়ক বিশেষভাৱে অনুন্নত বুলি মানি লৈছে আৰু তেওঁলোকৰ দ্ৰুত উন্নতিৰ কাৰণে সংবিধানত বিশেষ ধাৰা সন্নিবিষ্ট কৰা হৈছে। সেই দুটা জনগোষ্ঠী হ'ল অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি। তেওঁলোকৰ কাৰণে বিশেষ সাংবিধানিক ব্যৱস্থা প্ৰথমে দহ বছৰৰ কাৰণে ধাৰ্য কৰা হৈছিল; কিন্তু সংবিধানৰ অষ্টম সংশোধনীৰ দ্বাৰাই তাক পিছত বিশ বছৰীয়া কৰা হ'ল। গতিকে এই দুটা সম্প্ৰদায়ক লৈ অসম চৰকাৰে ৰাজনীতিৰ খেলা খেলিছে বুলি অভিযোগ কৰিব নোৱাৰি। বৰং এই দুই জনগোষ্ঠীৰ প্ৰতি চৰকাৰৰ যি সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য আছে, সেইখিনি যথাযথভাৱে পালন নকৰাৰ অভিযোগতেই অসমৰ জনজাতীয় সম্প্ৰদায়ে বিক্ষুব্ধ হৈ বিচ্ছিন্নতাবাদী আন্দোলনৰ সূচনা কৰিছিল।

কিন্তু এটা সময়ত চৰকাৰৰ ধাৰণা হ'ল যে অনুসূচিত জাতি আৰু জনজাতিৰ বাহিৰেও হিন্দু সমাজত আৰু কেতবোৰ এনেকুৱা সম্প্ৰদায় আছে—যিবোৰ সম্প্ৰদায় আৰ্থিক আৰু সামাজিকভাৱে অন্যান্য হিন্দু সম্প্ৰদায়তকৈ যথেষ্ট পিছপৰা হৈ আছে; এই সম্প্ৰদায়বোৰৰ দ্ৰুত উন্নতিৰ কাৰণেও কিছুমান বিশেষ ব্যৱস্থা কৰা দৰকাৰ। এই বিশেষ ব্যৱস্থাবোৰৰ ভিতৰত শিক্ষাৰ কাৰণে বৃত্তি দিয়া আৰু কেতবোৰ বিশেষ সুবিধা দিয়াটোৱেই প্ৰধান। এই সম্প্ৰদায়বোৰৰ নাম দিয়া হ'ল Other Backward Classes (OBC) বা অন্যান্য অনুন্নত সম্প্ৰদায়।

শৰৎচন্দ্ৰ সিংহ অসমত ৰাজনৈতিক ৰংগমঞ্চত মুখ্যমন্ত্ৰীৰূপে আবিৰ্ভূত হোৱাৰ আগৰ পৰাই অসমত এই তথাকথিত অ' বি চিৰ অস্তিত্ব আছিল আৰু সেইবোৰ সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীয়ে শিক্ষাৰ ক্ষেত্ৰত কেতবোৰ বিশেষ সা-সুবিধা পাই আছিল। কিন্তু শৰৎচন্দ্ৰ সিংহৰ আগতে আন কোনো এজন মুখ্যমন্ত্ৰীয়েই অ' বি চি সকলক এটা উচ্চ-বৰ্ণ-বিৰোধী আন্দোলন বা ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰা নাছিল। শৰৎচন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী হোৱাৰ লগে লগেই তেওঁৰ উগ্ৰ সাম্প্ৰদায়িক দৃষ্টিভংগীৰ প্ৰথম পৰিচয় পোৱা গ'ল মন্ত্ৰীসভা গঠনত। মন্ত্ৰীসভাত মুছলমান, কাছাৰৰ বঙালী, অনুসূচিত জাতি, জনজাতি আৰু শ্ৰমিকক সাম্প্ৰদায়িক প্ৰতিনিধিত্ব দিয়াৰ পৰম্পৰা আগৰে পৰাই চলি আছিল। কিন্তু শৰৎ সিংহই তাৰ লগতে মন্ত্ৰীসভাৰ অ' বি চিৰ প্ৰাধান্যৰ এটা নতুন আয়তন সংযোজিত কৰিলে। তেওঁৰ মন্ত্ৰীসভাত দুজন কোঁচ আৰু আহোমে ঠাই পালে। কেৱল দুজন কিয়—চাৰিজনকৈ কোঁচ আৰু আহোম তেওঁৰ মন্ত্ৰীসভাত ঠাই পোৱা হ'লেও কোনেও তেওঁৰ এই কামৰ মাজত সাম্প্ৰদায়িক আবিষ্কাৰ নকৰিলেহেঁতেন, যদিহে মানুহৰ চকুত লাগি যোৱাকৈ প্ৰকৃত যোগ্যতাসম্পন্ন বামুণ-কলিতা-কায়স্থ সম্প্ৰদায়ৰ লোকসকলক তেওঁৰ প্ৰথম মন্ত্ৰীসভাৰ পৰা সযতনে বাদ দি থোৱা নহ'লহেঁতেন। স্বৰ্ণপ্ৰভা মহন্ত আৰু বিষ্ণুপ্ৰসাদক এই মন্ত্ৰীসভাত ঠাই দিয়া হৈছিল সঁচা, কিন্তু শৰৎচন্দ্ৰ সিংহৰ নিজৰ ভাৱ-গতিৰ পৰাই মানুহৰ মনত এটা ধাৰণাৰ সৃষ্টি হ'ল যে কেৱল বদনামৰ পৰা হাত সাৰিবৰ কাৰণে বা চকুলজ্জা ঢাকিবৰ কাৰণেহে এই দুজন লোকক মন্ত্ৰীসভাত

ঠাই দি বৰ্ণহিন্দুকো প্ৰতিনিধিত্ব দিয়া হৈছে বুলি দাবী কৰা হ'ল। কিন্তু প্ৰকৃতপক্ষে, সম্পূৰ্ণৰূপে এখন অ' বি চি প্ৰভাবিত মন্ত্ৰীসভা গঠন কৰা হ'ল। দাবী কৰা হ'ল যে কোঁচ বংশোদ্ভূত শৰৎচন্দ্ৰ সিংহই হ'ল অসমৰ প্ৰথম অ' বি চি মুখ্যমন্ত্ৰী। অসমৰ দ্বিতীয়জন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিও যে কোঁচ আছিল, সেই কথা তেওঁলোকে ইচ্ছা কৰিয়েই পাহৰি থাকিল। বিষ্ণুৰাম মেধিয়ে নিজে কেতিয়াও নিজক কোঁচ বুলি ভবা নাছিল। জাতি-সম্প্ৰদায় নিৰ্বিশেষে অন্ধ আৰু উগ্ৰ অসমীয়া-প্ৰীতিয়েই আছিল তেওঁৰ ৰাজনৈতিক জীৱনৰ এটা 'কালিমা'।

শৰৎ সিংহৰ মন্ত্ৰীসভাৰ পৰা বামুণ-গোসাঁইসকল বাদ পৰিছিল, কেৱল সেই স্যাকাতে অৱশ্যে তেওঁক সাম্প্ৰদায়িক বুলি দোষাৰোপ কৰা টান হ'লহেঁতেন। কিন্তু সিংহ মন্ত্ৰীসভাই শাসন ক্ষমতা হাতত লোৱাৰ মুহূৰ্তৰ পৰাই অসমত আগতে কেতিয়াও নোহোৱা-নোপজা এটা নতুন ঘটনা ঘটিল। ভেঁকুৰকৈ কাঠফুলা গজি উঠাৰ দৰে অসমত হঠাতে ধুবুৰীৰ পৰা শদিয়ালৈকে কোঁচ সন্মিলন, চুতীয়া সন্মিলন, যোগী সন্মিলন, আহোম সন্মিলন, সুত সন্মিলন আদি অজস্ৰ সাম্প্ৰদায়িক অনুষ্ঠান গঢ়ি উঠিছিল। মুঠতে অসমীয়া হিন্দু সমাজত যিমানবোৰ সৰু-বৰ সম্প্ৰদায় আছে, প্ৰত্যেকৰে একো একোখন সন্মিলন হ'ল। আকৌ এই গোটেইবোৰ অনুষ্ঠানকে সন্মিলিত কৰি ৰাজ্যিক ভিত্তিত আৰু সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাত এটা অ' বি চি সংস্থা গঢ়ি তোলা হ'ল। কিছুদিনৰ ভিতৰতে অ' বি চি ছাত্ৰ সন্মিলন, অ' বি চি যুৱক সন্মিলন আদি নামত এই নতুন ৰাজনৈতিক সংস্থাৰ বিভিন্ন ফ্ৰন্ট সংগঠনো গঢ়ি উঠিল। মুখ্যমন্ত্ৰীকে আৰম্ভ কৰি মন্ত্ৰীসভাৰ অ' বি চি সম্প্ৰদায়ভুক্ত মন্ত্ৰীসকলে আৰু কংগ্ৰেছী বিধায়কসকলে অসমৰ অ' বি চি আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিলে। হৰেন্দ্ৰনাথ তালুকদাৰ, হিতেশ্বৰ শইকীয়া, গোলোক ৰাজবংশী আৰু তৰুণ চুতীয়া আদিৰ নাম এই প্ৰসংগত বিশেষভাৱে উল্লেখযোগ্য। সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাতেই অ' বি চি আন্দোলন গঢ়ি উঠিছিল--তাৰ এটা ডাঙৰ প্ৰমাণ এয়েই যে এই সংস্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ বহুতো গুৰুত্বপূৰ্ণ বৈঠক বহিছিল দিছপুৰ সচিবালয়ৰ মন্ত্ৰীৰ বা বিধান সভাৰ উপাধ্যক্ষৰ কোঠাত।

অ' বি চি সকলক আগৰ পৰাই কিছুমান বিশেষ সুবিধা দি থকা হৈছিল; চৰকাৰী নিয়ম অনুসৰি এতিয়াও বিশেষ হৈ-চৈ নকৰি সেইবোৰ দি থকা হ'লে কথাটো কাৰো চকুত নপৰিলহেঁতেন। কিন্তু চৰকাৰী পৃষ্ঠপোষকতাত অ' বি চি সকলক ৰাজনৈতিকভাৱে সংগঠিত কৰাৰ হঠাতে কি অনিবাৰ্য প্ৰয়োজন ঘটিল? এনে আঁহফলা ৰাজনীতিৰ দ্বাৰা এতিয়াও নিজৰ অস্তিত্ব ৰক্ষাৰ কাৰণে সংগ্ৰাম কৰি থকা অসমীয়া জাতিটোক পুনৰ বহুধা বিভক্ত কৰাৰ ষড়যন্ত্ৰ কাৰ মূৰত কিয় খেলালে? এই নৱ সংগঠিত ৰাজনৈতিক শক্তি অ' বি চি-ৰ প্ৰধান প্ৰতিপক্ষ কোন?

অসমৰ মুঠ জনসমষ্টিৰ ২৬ লাখমান মুছলমান; ১৪ লাখ অনুসূচিত জনজাতি, ৯ লাখ অনুসূচিত সম্প্ৰদায়, ৩০ লাখ চাহ মজদুৰ, ১৭ লাখ বঙালী, কেইলাখমান অ' বি চি..... এনেকৈ বিশ্লেষণ কৰি চালে দেখা যায় যে অসমৰ মুঠ জনসংখ্যাৰ মাত্ৰ শতকৰা ৫ ভাগমান হ'ব বামুণ-গোসাঁই-কলিতা আদি উচ্চবৰ্ণৰ হিন্দু। শতকৰা এই ৫ ভাগ মানুহৰ বিৰুদ্ধেই বাকী শতকৰা ৬০, ৭০ বা ৮০ ভাগ মানুহে এনেভাৱে কিয় সংগঠিত হ'বলগা হৈছে?

বাহিৰৰ বহুতো পৰ্যবেক্ষকৰ মুখত এই কথা বাৰম্বাৰ শুনিছোঁ যে অসমৰ কংগ্ৰেছ চৰকাৰৰ এই অ' বি চি ৰাজনীতিক একমাত্ৰ তামিলনাডুৰ ডি এম কে ৰাজনীতিৰ লগতহে তুলনা কৰিব পাৰি। পাৰ্থক্য কেৱল এইখিনিতেই যে ডি এম কে এটা অকংগ্ৰেছী আৰু স্বঘোষিত সাম্প্ৰদায়িক অনুষ্ঠান; কিন্তু অসমত অ' বি চি সাম্প্ৰদায়িক ৰাজনীতি কৰা হৈছে কংগ্ৰেছৰ নামাৱলীৰ আঁৰত।

এতিয়া প্ৰধান প্ৰশ্ন হ'ল – এই অ' বি চি আন্দোলন এটা সংকীৰ্ণ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত আন্দোলন নে তাৰ মূলতে কিবা সামাজিক মংগলবুদ্ধিয়ে কাম কৰিছিল? স্পষ্টতঃ দেখা যায় যে ই এটা ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত আন্দোলন। অনুন্নত সম্প্ৰদায়ৰ লোকসকলক কেতবোৰ বিশেষ সা-সুবিধা দিয়াটোৱেই চৰকাৰৰ উদ্দেশ্য হোৱা হ'লে চৰকাৰী নিয়ম-নীতি অনুসৰি নীৰৱে সেইবোৰ দি থাকিলেই হ'লহেঁতেন। কিন্তু শৰৎ সিংহ আৰু তেওঁৰ মন্ত্ৰী-শিষ্যসকলে ক্ষমতালৈ অহাৰ লগে লগে সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাত অ' বি চি নামধাৰী জনগোষ্ঠীবোৰক সংগঠিত কৰি এটা মিলিটেণ্ট ৰাজনৈতিক শক্তিত পৰিণত কৰা হ'ল। এইটো কৰাৰ একমাত্ৰ উদ্দেশ্য হ'ল কেইজনমান বিশেষ ব্যক্তি আৰু তেওঁলোকৰ উত্তৰাধিকাৰীসকলৰ ৰাজনৈতিক ক্ষমতা চিৰস্থায়ী কৰা।

মানুহৰ প্ৰকৃত মংগল সাধনতকৈ এটা সংকীৰ্ণ ৰাজনৈতিক উদ্দেশ্য সিদ্ধি কৰিবৰ কাৰণেহে এই অ' বি চি আন্দোলন গঢ়ি তোলা হৈছে, তাৰ আৰু এটা প্ৰমাণ দিব পাৰি। কোঁচ, চুতীয়া, আহোম, যোগী, সুত আদি লোকসকলক অ' বি চি বুলি ধৰা হয়। এই শ্ৰেণী-বিভাজনৰ কিবা বৈজ্ঞানিক ভিত্তি আছেনে? উদাহৰণস্বৰূপে আহোমসকলৰ কথাই ধৰা যাওক। আহোমসকলে অসমত ছশ বছৰ ৰাজত্ব কৰিছিল আৰু অসমীয়া জাতি গঠনৰ সৰ্বাধিক কৃতিত্ব তেওঁলোকৰেই প্ৰাপ্য। এটা গৌৰৱময় অতীতৰ স্মৃতিয়ে আজিও তেওঁলোকৰ বুকু ফিন্দ খুৱাই ৰাখে। এই কথা হয়তো সঁচা যে ৰাজক্ষমতা হেৰুওৱাৰ পিছত কিছুদিনৰ কাৰণে তেওঁলোকে মুজুৰা পৰি আছিল। কিন্তু যিটো সম্প্ৰদায়ে অসম সাহিত্য সভাৰ প্ৰথম সভাপতি আৰু প্ৰথম সাহিত্যিক পেঞ্চনাৰ পদ্মনাথ গোহাঞিবৰুৱা, চাহ খেতিয়ক আৰু দানবীৰ ৰাধাকান্ত সন্দিকৈ, জগদ্বিখ্যাত সংস্কৃত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ, প্ৰথম কেন্দ্ৰীয় মন্ত্ৰী সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞি আদি লোকৰ জন্ম দিছে, সেইটো সম্প্ৰদায় কি অৰ্থত অনুন্নত সম্প্ৰদায়? প্ৰথম অসমীয়া ৰেডিঅ' গায়ক বিপিনকুমাৰ বৰগোহাঞি, প্ৰথম অসমীয়া মহিলা ডক্টৰেট তিলোত্তমা গগৈ, ইংৰাজী সাহিত্যত জগদ্বিখ্যাত কেম্ব্রিজ বিশ্ববিদ্যালয়ৰ প্ৰথম অসমীয়া ডক্টৰেট হীৰেন গোহাঁই—এওঁলোকো আহোম সম্প্ৰদায়ৰে মানুহ। তালিকাখন আৰু বহুত দীঘলীয়া কৰিব পাৰি। প্ৰকৃততেই অনুন্নত সম্প্ৰদায় এটাৰ পক্ষে মানবীয় কৰ্ম-সাধনাৰ বিভিন্ন ক্ষেত্ৰত এনে বিশিষ্ট কৃতকাৰ্যতা অৰ্জন কৰা লোকৰ জন্ম দিয়া সম্ভৱনে?

আচল কথা হ'ল এই যে বৈজ্ঞানিক প্ৰণালীৰে চলোৱা কোনো সামাজিক সমীক্ষাৰ ভিত্তিত আহোমসকলক অ' বি চি তালিকাভুক্ত কৰা হোৱা নাছিল; আহোম সভাৰ নেতা সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞিয়ে কংগ্ৰেছত যোগ দি কেন্দ্ৰীয় উপমন্ত্ৰী হোৱাৰ পিছত সাম্প্ৰদায়িক প্ৰীতিৰ বশৱৰ্তী হৈ আহোমসকলৰ নামটো অ' বি চি-ৰ তালিকাত সুমুৱাই থৈ যায়। সেই সুযোগতে আহোমসকলে আজিও অ' বি চি বুলি দপদপাই আছে আৰু বহুতো প্ৰকৃত অভাৱগ্ৰস্ত মানুহক বঞ্চিত কৰি কিছুমান বিশেষ সুবিধা ভোগ কৰি আছে। আমি ভাবোঁ যে চৰকাৰে আহোম সম্প্ৰদায়ৰ শিক্ষা, আৰ্থিক অৱস্থা, চাকৰি, ব্যৱসায়-বাণিজ্য, সাক্ষৰতাৰ হাৰ, শিক্ষিত লোকৰ সংখ্যা আৰু ৰাজনৈতিক স্থিতি আদি বিভিন্ন বিষয়ে এটা সমীক্ষা কৰি আৰু অন্যান্য সম্প্ৰদায়ৰ লগত তাক তুলনা কৰি দেখুৱাই আহোমসকলক অ' বি চি তালিকাভুক্ত কৰি ৰখাৰ যৌক্তিকতা প্ৰমাণ কৰা উচিত। সেইটো নকৰালৈকে চৰকাৰ ৰাজনৈতিক স্বাৰ্থ-বুদ্ধি আৰু সাম্প্ৰদায়িক পক্ষপাতিত্বৰ অভিযোগৰ পৰা কেতিয়াও মুক্ত হ'ব নোৱাৰে। কেৱল আহোমসকল নহয়, অ'.বি.চি. তালিকাভুক্ত অন্যান্য সম্প্ৰদায়বোৰৰ বিষয়েও চৰকাৰে বৈজ্ঞানিক পদ্ধতিৰে এটা সমীক্ষা চলাই কেতবোৰ বিশেষ সম্প্ৰদায়ক বঞ্চিত কৰি আনবোৰক পক্ষপাতমূলক চৰকাৰী দাক্ষিণ্য দি থকাৰ যৌক্তিকতা প্ৰকাশ কৰা উচিত। সামাজিক ন্যায়ৰ দাবীতেই এটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে এনে এটা সমীক্ষা বা পুনৰীক্ষণ একান্ত প্ৰয়োজনীয়।

অনুন্নত সম্প্ৰদায়বোৰৰ কাৰণে যদি সঁচাকৈয়ে চৰকাৰৰ অন্তৰে কান্দে, তেন্তে অসমৰ ন-অসমীয়া মুছলমান সম্প্ৰদায়টোৰ নিচিনা অনুন্নত আৰু অবহেলিত সম্প্ৰদায় কেৱল অসমত কিয়, ভাৰতত্তেই বোধহয় দ্বিতীয় এটা নাই। নিৰক্ষৰতাৰ হাৰ এই সম্প্ৰদায়ৰ মাজতে আটাইতকৈ বেছি। যাতায়াতৰ সুচল নথকা দুৰ্গম চৰ আৰু হাবিতলীয়া অঞ্চলত বৈৰী প্ৰকৃতিৰ লগত অহোৰাত্ৰ সংগ্ৰাম কৰি তেওঁলোক জীয়াই থাকে। নানা আৰ্থিক আৰু সামাজিক কাৰণত অপৰাধৰ মাত্ৰা তেওঁলোকৰ মাজত আটাইতকৈ বেছি। তেওঁলোকৰ তিৰোতাসকল সকলো মানৱিক অধিকাৰৰ পৰা বঞ্চিত আৰু পুৰুষৰ ব্যক্তিগত সম্পত্তি মাত্ৰ। মাতব্বৰ, মণ্ডল আৰু পুলিচৰ দ্বাৰা নিৰ্মমভাৱে শোষিত এই লোকসকলৰ মাজত এতিয়াও 'চাফৰ্ডম্' ভয়ংকৰৰূপত বিৰাজ কৰিছে। নিৰ্বাচনৰ সময়ৰ বাহিৰে আন কোনো সময়তে এই লোকসকলক কাৰো বাবা মানুহ বুলি গণ্য কৰা নহয়। তেন্তে কি অৰ্থত কোঁচ বা আহোমসকল অ' বি চি আৰু এই ন-অসমীয়া মুছলমানসকল অ' বি চি নহয়? মানুহৰ দুখত যদি শৰৎচন্দ্ৰ সিংহ বা দেৱকান্ত বৰুৱাৰ অন্তৰে সঁচাকৈয়ে কান্দে, তেতিয়াহ'লে এই ন-অসমীয়া মুছলমানসকলেই অ' বি চি-ৰ তালিকাত এক নম্বৰত ঠাই পোৱা উচিত নাছিলনে? ৰাজনৈতিক নেতাসকলে মানুহৰ দুখত কান্দি কাকো অ' বি চি কৰা নাই, কৰিছে নিজৰ সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থ-সিদ্ধিৰ প্ৰয়োজনত। ৰাজনৈতিক স্বাৰ্থই তেওঁলোকক ইমান অন্ধ কৰি তুলিছে যে নিজৰ ৰাজনৈতিক ক্ষমতা একচেটীয়া আৰু চিৰকলীয়া কৰিবৰ কাৰণে তেওঁলোকে অ' বি চি ৰাজনীতিৰ নামত অসমীয়া সমাজখন ফাল ফাল কৰি পেলাবলৈকো কুণ্ঠিত হোৱা নাই। এই বিষয়ত আটাইতকৈ ডাঙৰ অপৰাধী হ'ল দেৱকান্ত বৰুৱা আৰু শৰৎচন্দ্ৰ সিংহ। হিতেশ্বৰ শইকীয়াৰ ডাঙৰ অপৰাধ হ'ল এয়েই যে হিটলাৰৰ আইখ্‌মেনৰ দৰে তেৰোঁ নিজকে এই দুজন মানুহৰ হাতৰ ক্ৰীড়নক হ'বলৈ এৰি দিছিল। নহ'লে যি হিতেশ্বৰ শইকীয়াই ছাত্ৰাবস্থাত সাম্প্ৰদায়িক বিচাৰত দিয়া বৃত্তি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল, সেই হিতেশ্বৰ শইকীয়া মন্ত্ৰী-পদত অধিষ্ঠিত হৈ অ' বি চি ৰাজনীতিৰ প্ৰধান স্থপতি হোৱা কথাটো ভাবিবলৈকে টান লাগে। আজি অৱশ্যে সেই হিতেশ্বৰ শইকীয়াই শিক্ষামন্ত্ৰীৰ বাব লৈয়েই সকলো সাম্প্ৰদায়িক বিবেচনা বাদ দি কেৱল অৰ্থনৈতিক বিচাৰত সকলো অভাৱগ্ৰস্ত লোককে শিক্ষাৰ সুবিধা দিয়াৰ নীতি গ্ৰহণ কৰিছে।

দেৱকান্ত বৰুৱা কি ধৰণৰ সমাজ-বিপ্লবী— তাৰ এটা মাত্ৰ উদাহৰণ দিলেই যথেষ্ট হ'ব। বহু বছৰৰ আগতে মিচেনাৰ নামৰ এজন আমেৰিকান সাংবাদিকে Voice of Asia নামৰ এখন কিতাপ লিখিছিল। দেৱকান্ত বৰুৱা তেতিয়া ১৯৫২ চনৰ নিৰ্বাচনৰ পিছত লোকসভাৰ সদস্য। দেৱকান্ত বৰুৱা কেনেকৈ মিচেনাৰৰ চকুত এছিয়াৰ অন্যতম ভয়েচ হ'ল—সেই কথা জানে একমাত্ৰ মিচেনাৰ আৰু ঈশ্বৰে। যি হওক, দেৱকান্ত বৰুৱাই তেতিয়া মিচেনাৰৰ আগত দম্ভ কৰি কৈছিল যে ভাৰতত যিসকল লোকে জাতিভেদ প্ৰথাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি সমাজ-বিপ্লৱৰ সূচনা কৰিছে, সেইসকল লোকৰ ভিতৰত তেওঁ অন্যতম অগ্ৰনায়ক-কাৰণ তেওঁ কলিতা হৈয়ো কেওটৰ ছোৱালী বিয়া কৰিছে।

শৰৎচন্দ্ৰ সিংহ কি ধৰণৰ সমাজ-বিপ্লবী—তাৰো এটা উদাহৰণ দিয়া দৰকাৰ। সিংহই ১৯৭২ চনত এদিন এই লেখকৰ আগত কৈছিল—'চাওকচোন বৰগোহাঁই, এসময়ত গুৱাহাটী জিলা কংগ্ৰেছত একে সময়তে সাতজন বামুণ জিলা কংগ্ৰেছত বিষয়ববীয়া আছিল। বামুণৰ এই একাধিপত্য থকালৈকে অন্যান্য অনুন্নত জনগোষ্ঠীৰ কিবা ভৱিষ্যৎ আছে বুলি আপুনি ভাবেনে?'

কংগ্ৰেছ যদি এটা গণতান্ত্ৰিক অনুষ্ঠান হয়, তেন্তে অসমৰ এটা মাইক্ৰস্কপিক সম্প্ৰদায় বামুণসকলে কি কৌশলেৰে ইমানবোৰ বিষয়বাব দখল কৰিছিল? যদি কংগ্ৰেছ এটা গণতান্ত্ৰিক অনুষ্ঠান নহয়, তেন্তে শৰৎচন্দ্ৰ সিংহই তেতিয়াই কংগ্ৰেছৰ পৰা বাহিৰ হৈ নাছিল কিয়?

মাও চে টুঙে কৈছিল যে জন্মসূত্ৰেই কোনো বুৰ্জোৱা নহয়, বুৰ্জোৱা হ'ল এটা মানসিক অৱস্থা। সৰ্বহাৰা দৰিদ্ৰ অৱস্থাত জন্ম লৈয়ো কোনো কোনো মানুহে বুৰ্জোৱা মানসিকতাৰ অধিকাৰী হ'ব পাৰে। বামুণো declassed হৈ উদাৰ আৰু প্ৰতিক্ৰিয়াশীল হ'ব নোৱাৰেনে? হৰিজন বা তথাকথিত অ' বি চিও দুৰ্ঘোৰ প্ৰতিক্ৰিয়াশীল আৰু সাম্প্ৰদায়িকতাবাদী হ'ব নোৱাৰেনে?

ভাৰতবৰ্ষত এখন শ্ৰেণীহীন আৰু বৰ্ণহীন সমাজ গঢ়ি তুলিবই লাগিব। জাতিভেদ প্ৰথাৰ ভয়ংকৰ ব্যাধি নিৰ্মূল কৰিবই লাগিব। কিন্তু ৰুগ্ন মানসিকতাৰ প্ৰচ্ছন্ন সাম্প্ৰদায়িকতাবাদীসকলৰ দ্বাৰা সেই কাম সমাধা নহ'ব।

ভাৰতৰ যিবোৰ অঞ্চলত জাতিভেদ প্ৰথা এতিয়াও Social disabilities বা সামাজিক অসামৰ্থ্যৰ এটা প্ৰধান কাৰণ, সেইবোৰ অঞ্চলত ৰোগ চাই ব্যৱস্থা বেলেগ হ'ব পাৰে। কিন্তু অসমত জাতিভেদৰ ৰূপ ইমান ভয়ংকৰ নহয়। এনে অৱস্থাত সাম্প্ৰদায়িকতা দূৰ কৰাৰ নামত শৰৎচন্দ্ৰ সিংহ আৰু তেওঁৰ অনুগামীসকলৰ অ' বি চি ৰাজনীতিয়ে সাম্প্ৰদায়িকতা দীৰ্ঘস্থায়ী কৰাতহে সহায় কৰিছে। কিছুদিনৰ আগতে এজন বামুণৰ ল'ৰা মোৰ ওচৰলৈ আহিছিল। তেওঁৰ দেউতা এজন সামান্য আয়বিশিষ্ট শিক্ষক। ল'ৰাজনে অশেষ যত্ন কৰি পঢ়ি প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষা পাছ কৰি কটন কলেজৰ বিজ্ঞানৰ শ্ৰেণীত পঢ়িবলৈ আহিছিল। কিন্তু তেওঁৰ লগৰ এজন অ' বি চি ছাত্ৰই দ্বিতীয় বিভাগত পাছ কৰি কটন কলেজৰ বিজ্ঞানৰ শ্ৰেণীত ছীট পালে; দৰিদ্ৰ শিক্ষকৰ সন্তান এই বামুণৰ ল'ৰাজনে প্ৰথম বিভাগত পাছ কৰা সত্বেও কেৱল বামুণ হোৱা অপৰাধতে কটন কলেজত ছীট নাপাই বিমুখ হৈ ঘূৰি যাবলগীয়া হ'ল। নীচতম সাম্প্ৰদায়িকতাৰ বলি এই নিষ্পাপ নিষ্কলুষ ল'ৰাজনৰ কৰুণ মুখখনে এতিয়াও মোক আমনি দি থাকে। দৰিদ্ৰ মানুহ ব্ৰাহ্মণ হ'লেও তেওঁ দৰিদ্ৰই। বামুণে যদি যোৱ পাঁচ হাজাৰ বছৰত পাপ কৰিছিল, তাৰ প্ৰায়শ্চিত্ত সেই অধ্যৱসায়ী, প্ৰতিভাবান আৰু নিৰপৰাধ বামুণৰ ল'ৰাজনে কিয় কৰিব লাগে?

হিন্দু সমাজৰ পৰা জাতিভেদ প্ৰথা নিৰ্মূল হোৱা উচিত। উচ্চবৰ্ণ হিন্দুৰ দ্বাৰা নিম্নবৰ্ণৰ হিন্দুৰ শোষণ লোপ পোৱা উচিত। কিন্তু সেইটো কৰাৰ পন্থা অ' বি চি আন্দোলনৰ নিচিনা ৰাজনৈতিক স্বাৰ্থ-প্ৰণোদিত নীচ সাম্প্ৰদায়িকতা নহয়। বেমাৰৰ ক্ষেত্ৰত বিষেৰে হয়তো বিষ কাঢ়িব পাৰি, কিন্তু সাম্প্ৰদায়িকতাৰ দ্বাৰা কেতিয়াও সাম্প্ৰদায়িকতা দূৰ কৰিব নোৱাৰি। শিক্ষাৰ দ্ৰুত বিস্তাৰ, বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰচাৰ, ঔদ্যোগিক সভ্যতাৰ প্ৰসাৰ, শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা, social mobility—কেৱল এইবোৰৰ দ্বাৰাহে সকলো প্ৰকাৰৰ শোষণমুক্ত এখন উদাৰ আধুনিক সমাজ সৃষ্টি কৰিব পাৰি। বামুণৰ বিৰুদ্ধে দেৱকান্ত বৰুৱা আৰু শৰৎচন্দ্ৰ সিংহৰ বিদ্বেষ অতি প্ৰচণ্ড। কিন্তু অসমত বামুণীয়া শোষণ, ভণ্ডামি আৰু ৰক্ষণশীলতাৰ বিৰুদ্ধে প্ৰচণ্ড বিপ্লৱৰ সূচনা কৰিছিল এজন বামুণে। তেওঁৰ নাম আছিল হেমচন্দ্ৰ বৰুৱা। কলিতা হৈ কেওটৰ ছোৱালী বিয়া কৰি নিজকে বিৰাট সমাজ-বিপ্লৱী বুলি ভবা দেৱকান্ত বৰুৱাই কেতিয়াবা হেমচন্দ্ৰ বৰুৱাৰ নাম শুনিছেনে? তেওঁৰ জীৱন-কাহিনী জানেনে?

হেমচন্দ্ৰ বৰুৱাৰ মৃত্যু হৈছিল ১৮৯৬ খ্ৰীষ্টাব্দত। তেতিয়া শৰৎচন্দ্ৰ সিংহ বা দেৱকান্ত বৰুৱা কাৰো জন্মই হোৱা নাছিল। কিন্তু হেমচন্দ্ৰ বৰুৱাৰ দুৰ্জয় সাহস আৰু সৰ্ব-সংস্কাৰমুক্ত প্ৰগতিশীল মানসিকতাৰ অধিকাৰী হ'বলৈ শৰৎ সিংহ বা দেৱকান্ত বৰুৱাৰ আৰু এশ বছৰ লাগিব।

কম্পিউটাৰ কেলেংকাৰী

জৰুৰী অৱস্থা আৰু চেন্সৰ-প্ৰথাৰ সুযোগ লৈ দেশত যিমানবোৰ অপকৰ্ম কৰা হ'ল সেইবোৰৰ ভিতৰত অসম মাধ্যমিক শিক্ষা পৰিষদত কম্পিউটাৰ ব্যৱহাৰটোও এটা। যি সময়ত কম্পিউটাৰ ব্যৱহাৰ প্ৰস্তাৱ উঠিছিল, সেই সময়ত এই অৱস্থাৰ বিৰুদ্ধে মাধ্যমিক শিক্ষা পৰিষদৰ শীৰ্ষস্থানীয় বিষয়াৰ মুখত তীব্ৰ আপত্তি আমি শুনিবলৈ পাইছিলোঁ। এই ব্যৱস্থাৰ বিভিন্ন অপকাৰিতা আৰু সম্ভাব্য অশুভ পৰিণামৰ বিষয়ে তেতিয়া পৰিষদৰ কোনো কোনো বিষয়াই আমাক বুজাইছিল। চেন্সৰ-প্ৰথাই বাতৰি কাকতৰ মুখ বন্ধ কৰি নথকা হ'লে তেতিয়াই এই বিষয়ে জনসাধাৰণক অৱগত কৰি এটা ৰাজহুৱা আলোচনা মুকলি কৰিব পৰা হ'লহেঁতেন, আৰু আলোচনাৰ মূৰ কম্পিউটাৰ ব্যৱস্থা অবাঞ্ছিত বুলি প্ৰমাণিত হ'লে তাৰ বিৰুদ্ধে জনমত সংগঠিত কৰিব পৰা হ'লহেঁতেন। কিন্তু জনমতক মষিমূৰ কৰি অবাধ স্বেচ্ছাচাৰিতা চলাবৰ কাৰণে যিহেতু চেন্সৰ-প্ৰথা প্ৰৱৰ্তন কৰা হৈছিল, গতিকে কম্পিউটাৰ ব্যৱস্থাৰ সম্ভাব্য কু-ফলৰ কথা জানি-শুনিও সেই সময়ত আমি একো কৰিব নোৱাৰিলো।

ইতিমধ্যে যি ঘটিব লাগে ঘটি গ'ল। লাখ লাখ ল'ৰা-ছোৱালীৰ ভাগ্যক লৈ যিসকল লোকে নিৰ্মমভাৱে খেলা খেলিলে, তেওঁলোকৰ বিৰুদ্ধে এতিয়া নিশ্চয় তদন্ত হ'ব লাগিব। দোষীয়ে শাস্তি পাব লাগিব, অকৰ্মণ্য কম্পিউটাৰ ব্যৱস্থাৰ দ্বাৰা সমগ্ৰ পৰীক্ষা পদ্ধতিটোকে প্ৰহসনত পৰিণত কৰা কাৰ্য্যৰ নিশ্চয় প্ৰতিকাৰ হ'ব লাগিব। কিন্তু প্ৰশ্ন হৈছে -- তদন্তৰ আদেশ দিব কোনে আৰু কাৰ বিৰুদ্ধে?

এই প্ৰশ্ন উত্থাপন কৰাৰ এটা বিশেষ কাৰণ আছে। মাধ্যমিক শিক্ষা পৰিষদৰ পৰীক্ষাৰ ফলাফল গণনাৰ কাৰণে কম্পিউটাৰ ব্যৱহাৰ নিৰ্দেশ আহিছিল স্বয়ং মুখ্যমন্ত্ৰীৰ পৰা। সেই সময়ত তেওঁ শিক্ষা মন্ত্ৰীৰ দায়িত্বতো আছিল। আমি জনা মতে মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষই তেতিয়া কম্পিউটাৰৰ অবাঞ্ছনীয়তাৰ বিষয়ে মুখ্যমন্ত্ৰীক বুজাবলৈ নানা প্ৰকাৰে চেষ্টা কৰিছিল। কিন্তু তেওঁৰ সকলো যুক্তি মুখ্যমন্ত্ৰীৰ একাণে সোমাই সিকাণে ওলাই গ'ল। কোনো যুক্তি-তৰ্ক আৰু আলোচনাৰ ফালে নগৈ মুখ্যমন্ত্ৰীয়ে এক-কথাত হুকুম দিলে : "ইমান দিনৰ ভিতৰত মাধ্যমিক শিক্ষা পৰিষদত কম্পিউটাৰ ব্যৱহাৰ্বই লাগিব; তাৰ বাহিৰে আন কোনো কথা মই শুনিব নোখোজোঁ।"

মাধ্যমিক শিক্ষা পৰিষদ শিক্ষা-বিষয়ত বিশেষজ্ঞ ব্যক্তিসকলক লৈ গঠিত এটা স্বায়ত্ত-শাসিত অনুষ্ঠান। ৰাজ্যখনৰ মাধ্যমিক শিক্ষাৰ স্বাৰ্থত কি কি ব্যৱস্থা ল'ব লাগে বা নালাগে—সেইবোৰ বিষয়ৰ সিদ্ধান্তৰ দায়িত্ব পৰিষদলৈ এৰি থোৱাটোৱেই যুক্তি-সংগত নিয়ম। তেনেস্থলত বিশেষজ্ঞসকলৰ যুক্তি বা পৰিষদৰ অধ্যক্ষৰ পৰামৰ্শ সম্পূৰ্ণৰূপে অৱজ্ঞা কৰি মুখ্যমন্ত্ৰীয়ে কম্পিউটাৰ ব্যৱহাৰলৈ এনেভাৱে আঁকোৰ-গোজালি হৈ লগাৰ কাৰণ কি? মাধ্যমিক শিক্ষাৰ স্বাৰ্থত, নে আন কিবা স্বাৰ্থত?

সেই সময়ত সকলোৰে মুখে মুখে এই কথাই শুনা গৈছিল যে শ্ৰীদুগপাল নামৰ মুখ্যমন্ত্ৰীৰ সোঁ-হাত স্বৰূপ পৰম বিশ্বাস-ভাজন বিষয়াজনৰ বুজনিত পতিয়ন গৈয়েই মুখ্যমন্ত্ৰীয়ে মাধ্যমিক শিক্ষা পৰিষদৰ ওপৰত কম্পিউটাৰ জাপি দিবলৈ উঠি-পৰি লাগিছিল। এই বহু-বিতৰ্কিত আৰু কুখ্যাত বিষয়াজনে বোলে মুখ্যমন্ত্ৰীক বুজাইছিল যে (১) পৰীক্ষকসকলে বা গণনাকাৰীসকলে অনেক সময়ত দুৰ্নীতি কৰে, অৰ্থাৎ পক্ষপাতিত্ব কৰি পৰীক্ষাৰ্থীৰ ফলাফল ওলট-পালট কৰে; কিন্তু কম্পিউটাৰ যিহেতু সম্পূৰ্ণভাৱে নিৰপেক্ষ, এতেকে কম্পিউটাৰ ব্যৱহাৰলে পৰীক্ষাৰ ফলাফলত দুৰ্নীতিৰ অৱকাশ সমূলি নোহোৱা হ'ব; (২) মানুহতকৈ কম্পিউটাৰে পৰীক্ষাৰ ফলাফল বেছি সোনকালে ঘোষণা কৰিব পাৰিব।

মুখ্যমন্ত্ৰী বা তেওঁৰ মন্ত্ৰণা-দাতাই ভবাতকৈ কম্‌পিউটাৰৰ সহায় লোৱাৰ পৰিণাম কিমান বিপৰীত হ'ল, কিমান মাৰাত্মক হ'ল—সেই কথা আজি সকলোৱে নিজৰ চকুৰ আগতে দেখিছে। তথাপি সেই সময়ত ভবা হৈছিল যে মুখ্যমন্ত্ৰীয়ে মাধ্যমিক শিক্ষা পৰিষদৰ সকলো যুক্তি দলিয়াই দি একমাত্ৰ শ্ৰীদুগ্‌গলৰ পৰামৰ্শতে হয়ভৰ দি কেৱল শিক্ষাৰ স্বাৰ্থৰ কথা চিন্তা কৰিয়েই কম্‌পিউটাৰ বহুওৱাৰ ওপৰত জোৰ দিছিল। কিন্তু আজি কম্‌পিউটাৰৰ বিষয়টোক কেন্দ্ৰ কৰি যিবোৰ তথ্য উদ্‌ঘাটিত হ'ব ধৰিছে বা যিবোৰ অভিযোগ উত্থাপিত হব ধৰিছে, সেইবোৰে ৰাইজৰ মনত নানা ধৰণৰ সন্দেহ ঘনীভূত কৰি তুলিছে। অলপতে অসমৰ ২১ জন জনতা-বিধায়কে সিংহ-মন্ত্ৰীসভাৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত যি অভিযোগ-পত্ৰ দাখিল কৰিছে, তাত নিম্নোল্লেখিত গুৰুতৰ অভিযোগটো সন্নিবিষ্ট কৰা হৈছে ঃ

"Prof. Duggal is reported to be a close man of the earstwhile discredited caucus of Mrs. Indira Gandhi. Prof. Duggal has a link with Multi-National Corporations like "International Business Machine." In order to please Shri Sinha, he (Duggal) is alleged to send Shri Ripunjoy Bora, son-in-Law of Shri Sinha, a non-technician of the Assam Industrial Development Corporation to London for computer training. All the expenditures of the son-in-law of Shri Sinha during the period of training and the journey have been borne by the I.B.M. The I.B.M. has borne this expenditure only becuase of the fact that they have been given a good market by Shri Sinha in the state of Assam. Recently, for different works of the H.S.L.C. examinations conducted by the Board of Secondary Education, Assam, contract has been given to the firm besides other works as a reward for what they had spent after his son-in-law.

অনেক সময়ত সৎ উদ্দেশ্য লৈ কৰা কামৰ পৰিণামো বেয়া হ'ব পাৰে। তাৰ কাৰণে অন্ততঃ মানুহজনৰ উদ্দেশ্যৰ সততাক সন্দেহ কৰিব নোৱাৰি। কিন্তু এই কথা যদি সঁচা হয় যে International Business Machine নামৰ এই প্ৰতিষ্ঠানটোৱে মুখ্যমন্ত্ৰী শৰৎ সিংহৰ কাৰিকৰী অৰ্হতা নথকা জোঁৱায়েকক সকলো খৰচ-পাতি দি কম্‌পিউটাৰ প্ৰশিক্ষণ ল'বলৈ পঠালে, আৰু কুঁজৰ ওপৰত কিলটো পৰাৰ দৰে বা 'কাকো পৰিল তালো সৰিল' হোৱাৰ দৰে সেই সময়তে উক্ত কোম্পানীটোৱে অসমৰ মাধ্যমিক শিক্ষা পৰিষদত কম্‌পিউটাৰ যোগান দিয়াৰ ঠিকা পালে, তেতিয়াহ'লে নিশ্চয় স্বীকাৰ কৰিবই লাগিব যে ক'ৰবাত কিবা এটা সাংঘাতিক গণ্ডগোল হৈছে।

কম্‌পিউটাৰ আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এটা ডাঙৰ দান। ইয়াৰ অবিহনে আধুনিক সভ্যতাৰ বহুতো চমকপ্ৰদ সাফল্যৰ কথা কল্পনাই কৰিব নোৱাৰি। মাধ্যমিক শিক্ষা পৰিষদ বা আমি কোনোৱেই কম্‌পিউটাৰৰ বিৰোধী নহয়। আমি অতিশয় নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানো যে মাধ্যমিক শিক্ষা পৰিষদে যথেষ্ট সময় হাতত লৈ ধীৰে-সুস্থিৰে সকলো প্ৰশিক্ষণৰ ব্যৱস্থা সম্পূৰ্ণ কৰি কম্‌পিউটাৰ কামত লগোৱাৰ কথা প্ৰস্তাৱ কৰিছিল। এটা অৱস্থাত শৰৎচন্দ্ৰ সিংহ সেই কথাত পতিয়নো গৈছিল। তাৰ পিছত হঠাৎ ৰাতিটোৰ ভিতৰতে কি ঘটনা ঘটি গ'ল, কাৰোবাৰ মন্ত্ৰণাত ভোল গৈ তেওঁ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰতে পৰীক্ষাৰ গণনা পদ্ধতি কম্পিউটাৰাইজ কৰিবলৈ উন্মত্ত হৈ উঠিল। জৰুৰী অৱস্থাই সৃষ্টি কৰা সন্ত্ৰাসৰ বাতাবৰণত মাধ্যমিক শিক্ষা পৰিষদে নিজৰ বিচাৰ-বিবেচনাৰ বিৰুদ্ধেও মুখ্যমন্ত্ৰীৰ অযুক্তিকৰ আদেশ কাৰ্য্যকৰী কৰিবলৈ বাধ্য হ'ল। অতি সোনকালে ইয়াৰ তদন্ত হ'ব লাগে আৰু যিহেতু মুখ্যমন্ত্ৰী নিজেই প্ৰধান অভিযুক্ত গতিকে সেই তদন্ত তেওঁৰ দ্বাৰা বা তেওঁৰ অধীনস্থ বিষয়াৰ দ্বাৰা হ'ব নোৱাৰে। এই তদন্ত হ'ব লাগিব চৰকাৰৰ দ্বাৰা। এই তদন্তৰ অন্যতম প্ৰধান বিচাৰ্য্য বিষয় হ'ব লাগিব শ্ৰীশৰৎ সিংহৰ শাসন কালত অধ্যাপক দুগ্‌গল নামৰ ৰহস্যময় ব্যক্তিজনৰ ৰহস্যময় ভূমিকা।

সাপ্তাহিক নীলাচল, ৪৪১ সংখ্যা : ১০ আগষ্ট, ১৯৭৭ চন

আশাভংগৰ সূচনা

জনতা পাৰ্টি আৰু চৰকাৰে লাহে লাহে জনতাক নিৰাশ কৰিবলৈ আৰম্ভ কৰিছে। সময় থাকোঁতেই এই বাস্তৱতাক স্বীকাৰ কৰি ল'ব নোৱাৰিলে পিছলৈ আনকি অনুতাপ কৰিবলৈকো জনতা পাৰ্টিৰ সময় নাথাকিব। যোৱা লোক সভা নিৰ্বাচনৰ আগে আগে সদ্যোজাত জনতা পাৰ্টিৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰধান অভিযোগ আছিল এয়ে যে ই এটা সু-সংহত আৰু ঐক্যবদ্ধ ৰাজনৈতিক দল নহয়, নিৰ্বাচনৰ প্ৰয়োজনত একত্ৰিত হোৱা কেইবাটাও পৰস্পৰ বিৰোধী দলৰ খিচিৰী মাত্ৰ। কংগ্ৰেছে তেতিয়া আনকি এইবুলিও ভৱিষ্যত বাণী কৰিছিল যে নিৰ্বাচনৰ পাছতেই এই দল পুনৰ খান-বান হৈ ভাগি যাব।

জনতা পাৰ্টি এতিয়া অৱশ্যে খান-বান হৈ যোৱা নাই, কিন্তু ই কংগ্ৰেছৰ আনটো অভিযোগ সঁচা বুলি প্ৰমাণিত কৰিছে। যোৱা পহিলা মে'ত আনুষ্ঠানিকভাৱে জনতা পাৰ্টি গঠিত হোৱাৰ তিনি মাহ পাছতো আজিও প্ৰকৃতপক্ষে ই এটা খিচিৰী পাৰ্টি হৈয়ে আছে। স্বয়ং জয়প্ৰকাশ নাৰায়ণ আৰু জগজীৱন ৰামে এই কথা স্বীকাৰ কৰিব লগা হৈছে। দিন যোৱাৰ লগে লগে জনতা পাৰ্টিৰ মাজত ঐক্যতকৈ অনৈক্যৰ লক্ষণহে অধিক প্ৰকট হৈ উঠিছে। তাতোকৈ বেছি দুশ্চিন্তাৰ কথা হৈছে যে জনতা পাৰ্টিৰ যি কেইটা গোট অপেক্ষাকৃতভাৱে উদাৰ আৰু প্ৰগতিশীল সেইকেইটা গোটক তল পেলাই প্ৰতিক্ৰিয়াশীল আৰু পুনৰুত্থান-বাদী গোটকেইটা অধিক শক্তিশালী হৈ উঠাৰ সংকটে দেখা দিছে। কংগ্ৰেছী কৰ্তৃত্ববাদৰ অৱসান ঘটাই দেশত গণতন্ত্ৰ আৰু নাগৰিক অধিকাৰ প্ৰতিষ্ঠা কৰাৰ বাবে দেশৰ জনসাধাৰণ জনতা পাৰ্টিৰ প্ৰতি নিশ্চয় কৃতজ্ঞ; কিন্তু তাৰ অৰ্থ এইটো নহয় যে ইতিহাসৰ ঘড়ীৰ কাঁটাডাল ওলোটা পাকে ঘূৰাই দিবলৈ ৰাইজে জনতা পাৰ্টিক লাইচেঞ্চ দিছে।

জনতা পাৰ্টিয়ে অগ্ৰাধিকাৰ নিৰূপণ কৰাৰ ক্ষেত্ৰত ডাঙৰ ভুল কৰিছে। ৰাজনৈতিক অৰ্থত ভাৰত কেতিয়াও এখন অখণ্ড ঐক্যবদ্ধ ৰাষ্ট্ৰ নাছিল। বৃটিছ শাসনেই ৰাজনৈতিক অৰ্থত আধুনিক ভাৰতীয় জাতীয়তাবাদৰ জন্ম দিলে। ভাৰতৰ নিচিনা এখন বিশাল, বিচিত্ৰ, বহুভাষী আৰু বহু-ধৰ্মাৱলম্বী দেশৰ ৰাষ্ট্ৰীয় ঐক্য ৰক্ষা কৰিবৰ কাৰণে এতিয়াও এনে এটা ঐক্যবদ্ধ শাসক দলৰ প্ৰয়োজন যিটো দলে দেশৰ সকলো প্ৰান্তৰ আৰু সকলো জন-গোষ্ঠীৰ আনুগত্য অৰ্জন কৰিব পাৰে। আন কথাত ক'বলৈ গ'লে এনে এটা দলৰ শিপা দেশৰ প্ৰতিটো চুক-কোণলৈকে বিয়পি থাকিব লাগিব। ইমান দিনে কংগ্ৰেছে অন্ততঃ এই কামটো বিশেষ সফলতাৰে কৰি আছিল। কিন্তু যোৱা লোকসভাৰ নিৰ্বাচনৰ পাছত দেশত এটা অভূতপূৰ্ব পৰিস্থিতিৰ সৃষ্টি হৈছে। জনতা পাৰ্টি মাইকৈ হিন্দীভাষী উত্তৰ ভাৰতৰ আৰু কংগ্ৰেছ অহিন্দীভাষী অঞ্চল--মাইকৈ দক্ষিণ ভাৰতৰ দল বুলি প্ৰতিপন্ন হৈছে। আপাতদৃষ্টিত ই নিশ্চয় এটা অমঙ্গলীয়া লক্ষণ। জনতা পাৰ্টিয়ে দাক্ষিণাত্য জয় কৰিব নোৱাৰাৰ এটা প্ৰধান কাৰণ আছিল এয়েই যে এই পাৰ্টিৰ উগ্ৰ হিন্দী-প্ৰেমক দক্ষিণৰ মানুহে ভয় আৰু সন্দেহৰ চকুৰে চায়। কিন্তু অবিশ্বাস্য কথা এয়েহে যে, যি সময়ত দক্ষিণৰ হৃদয় জয় কৰি নিজকে সৰ্বভাৰতীয় দল হিচাপে প্ৰতিষ্ঠা কৰিবলৈ জনতা পাৰ্টিয়ে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিব লাগিছিল, ঠিক সেই সময়তে জনতা পাৰ্টিয়ে হিন্দীৰ নামত পাগল হৈ দক্ষিণ ভাৰতকে ধৰি অহিন্দী-ভাষী

অঞ্চলবোৰক আৰু বেছি জনতা বিৰোধী কৰি তুলিছে। দেখা গৈছে যে জনতা পাৰ্টিৰ অন্ততঃ কেতবোৰ গোট আৰু এক শ্ৰেণীৰ নেতাৰ কাৰণে ৰাষ্ট্ৰীয় ঐক্য, দাৰিদ্ৰ্য-দূৰীকৰণ আৰু মূল্যবৃদ্ধি-দমন আদি জ্বলন্ত সমস্যাবোৰতকৈ হিন্দী ভাষাৰ প্ৰতিষ্ঠা বেছি জৰুৰী কৰ্তব্য হৈ দেখা দিছে। যোৱা বহুবছৰ ধৰি এই সকল লোকে হিন্দীৰ নামত মাত্ৰাধিক উৎসাহাতিশয্য দেখুৱাই আহিছিল আৰু যাইকৈ ঠিক সেই কাৰণতেই দেশৰ সংখ্যা-গৰিষ্ঠ জনতাই তেওঁলোকক গ্ৰহণ কৰা নাছিল। তেওঁলোকে যদি ভাবে যে এক বিশেষ ঐতিহাসিক পৰিস্থিতিয়ে আজি তেওঁলোকৰ হাতত শাসন-ক্ষমতা অৰ্পণ কৰিলে কাৰণেই আন সকলো কাম পিছ পেলাই হিন্দী ভাষাৰ সেৱা কৰাটোৱেই তেওঁলোকৰ প্ৰথম কাম হ'ব, তেন্তে তাতোকৈ ডাঙৰ ভুল আন একোৱেই নহ'ব। হিন্দী ভাষাৰ যি আধিপত্যৰ ভয়ত যোৱা লোকসভাৰ নিৰ্বাচনত দক্ষিণৰ মানুহে জনতা পাৰ্টিক নাকচ্ কৰিলে, হিন্দী ভাষাৰ স্বাৰ্থকেই অগ্ৰাধিকাৰ দি জনতা পাৰ্টিৰ নেতাসকলে চৰম অদূৰদৰ্শিতাৰ পৰিচয় দিছে।

মূল্য বৃদ্ধিয়ে জনসাধাৰণৰ জীৱন এনেভাৱে দুৰ্বহ কৰি তুলিছে যে এই অৱস্থা মানুহে আৰু কিমান দিন শান্তভাৱে সহ্য কৰি থাকিব কোৱা টান। জনসাধাৰণৰ মনত এতিয়া লাহে লাহে এনে ধাৰণা হ'বলৈ আৰম্ভ কৰিছে যে জনতা চৰকাৰ হোৱাৰ কাৰণেই দেশত এনেভাৱে মূল্যবৃদ্ধি হ'বলৈ পাইছে। ৰাইজে নিশ্চয় এইটো বিচাৰে যে মূল্যবৃদ্ধিৰ কাৰণবোৰ চৰকাৰে কঠোৰ হাতেৰে দূৰ কৰক; কিন্তু সেইবুলি কেন্দ্ৰীয় বাণিজ্য-মন্ত্ৰী শ্ৰীমোহন ধাৰিয়াৰ এটা সাম্প্ৰতিক ঘোষণাৰ প্ৰতি জনসাধাৰণ নিশ্চয় প্ৰস্তুত নাছিল। শ্ৰীধাৰিয়াই অলপতে ঘোষণা কৰিছে যে চোৰাং-ব্যৱসায়ী আৰু মজুতদাৰৰ বিৰুদ্ধে চৰকাৰে 'মিছা' প্ৰয়োগ কৰিবলৈকো পৰাংমুখ নহ'ব। অথচ জনতা পাৰ্টিৰ অন্যতম নিৰ্বাচনী-প্ৰতিশ্ৰুতি আছিল এয়েই যে চৰকাৰ গঠন কৰিব পাৰিলে 'মিছা' প্ৰত্যাহাৰ কৰাটোৱেই হ'ব তেওঁলোকৰ অন্যতম প্ৰধান কাম। শ্ৰীদেশাই প্ৰমুখ্যে নেতাসকলে বাৰংবাৰ ঘোষণা কৰিছিল যে দেশৰ সাধাৰণ আইনৰ সহায়েৰেই সকলো প্ৰকাৰৰ অৰ্থনৈতিক অপৰাধৰ বিৰুদ্ধে ব্যৱস্থা ল'ব পাৰি; তাৰ কাৰণে 'মিছা'ৰ কোনো প্ৰয়োজন নাই। কিন্তু জনতা চৰকাৰে ক্ষমতালৈ অহাৰ মাত্ৰ চাৰিমাহৰ পাছতে যেতিয়া তেওঁলোকৰ মুখত 'মিছা'ৰ গুণ-গান শুনিব লগা হ'ল, তাৰ পাছতো জনতা চৰকাৰৰ বিশ্বাসযোগ্যতা সম্পূৰ্ণ অক্ষুণ্ণ হৈ ৰ'ব বুলি কোনোবাই আশা কৰিব পাৰেনে?

ডঃ ৰেইন্‌কৰ্ট্ আমেৰিয়ে তেওঁৰ The Soul of India নামৰ গ্ৰন্থত ভাৰতৰ পাঁচ হাজাৰ বছৰৰ সমাজ আৰু সভ্যতাৰ ইতিহাস বিশ্লেষণ কৰি এই সিদ্ধান্তত উপনীত হৈছিল যে এদিন জনসংঘই ভাৰতবৰ্ষ শাসন কৰিব। তেওঁৰ এই ভবিষ্যদ্বাণী হয়তো সঁচা বুলি প্ৰমাণিত হ'বলৈ আগবাঢ়িছে; কিন্তু সেইটো হোৱাটো উচিত হ'বনে?

অহা কেইমাহমানৰ ভিতৰত জনতা পাৰ্টিয়ে কি ৰূপ লয়, তাৰ ওপৰতে দেশৰ ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰ কৰিছে।

সাপ্তাহিক নীলাচল, ৪৪৪ সংখ্যা ঃ ৩১ আগষ্ট, ১৯৭৭ চন

বৰ্তমান অসমত নেতৃত্বৰ সংকট

আজি কিছুদিন আগতে বাতৰি কাকতত এটি সৰু বাতৰি প্ৰকাশ পাইছিল — যাৰ তাৎপৰ্য্য অসমৰ বুদ্ধিজীৱীসকলে বুজিবলৈ চেষ্টা কৰা যেন নালাগে। বাতৰিটো হ'ল, প্ৰাদেশিক বিক্ৰী-কৰ গুচাই সৰ্বভাৰতীয় আবকাৰী শুল্ক বৃদ্ধি কৰিবলৈ বিচৰা কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাবটোৰ বিৰোধিতা কৰিছে অসম চৰকাৰে।

প্ৰাদেশিক বিক্ৰীকৰ ভাল নে বৰ্দ্ধিত আবকাৰী শুল্ক ভাল, সেই আলোচনালৈ নগৈ মাত্ৰ আঙুলিয়াই দিব বিচৰা হৈছে যে কেন্দ্ৰীয় চৰকাৰৰ কোনো প্ৰস্তাবৰ বিৰোধিতা যে অসম চৰকাৰে কৰিব পাৰে সেই কথা অসমীয়া ৰাইজে পাহৰি গৈছে। ভাৰত স্বাধীন হোৱাৰ পিচৰ পৰাই অসম চৰকাৰৰ দাসানুদাস মনোবৃত্তিৰ ফলতেই অসম ৰাজ্যখন এতিয়ালৈকে প্ৰাকৃতিক ঐশ্বৰ্য্যত সমৃদ্ধ হৈয়ো ভাৰতৰ ভিতৰতে এখন পিছপৰা ৰাজ্য হৈ আছে। নানা সমস্যাৰে জৰ্জৰিত অসমীয়া ৰাইজৰ দাৰিদ্ৰ্যৰ বাবে যাইকে দায়ী তিনি দশকজুৰি আমাৰ ৰাজ্যৰ নেতৃত্ব বহন কৰা জননায়কসকল।

১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত অসমৰ অবিসম্বাদী নেতা আছিল গোপীনাথ বৰদলৈ। সেই সময়ত পূৰ্ব বংগৰ পৰা অহা লক্ষ লক্ষ ভগনীয়া লোকৰ পুনৰ সংস্থাপনত বিশেষ সাফল্য দেখুৱাব নোৱাৰিলেও বৰদলৈৰ মন্ত্ৰীসভাৰ দিনতেই অসমত গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী উচ্চ ন্যায়ালয় আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ভেটি স্থাপিত হয়। স্বৰ্গীয় গোপীনাথ বৰদলৈৰ দেশপ্ৰেম আৰু তীব্ৰ জাতীয়তাবোধ সৰ্বজনবিদিত। স্বৰ্গীয় বৰদলৈৰ অকাল মৃত্যুৰ পিছত অসমৰ মুখ্যমন্ত্ৰী নিৰ্বাচিত হয় শ্ৰীবিষ্ণুৰাম মেধি। তেখেতৰ মন্ত্ৰীসভাত সেই সময়ত অসমৰ জনজাতীয় ৰাইজৰ যথোপযুক্ত প্ৰতিনিধিত্ব নথকাৰ বাবেই বৃহৎ অসম খণ্ডিত-বিখণ্ডিত হ'ল — যাৰ পৰিণতি স্বৰূপে গঢ়ি উঠিল ক্ষুদ্ৰকায় আজিৰ অসম। শ্ৰীবিষ্ণুৰাম মেধি আছিল অত্যন্ত নেহৰু-ভক্ত আৰু কেন্দ্ৰৰ পৰম মুখাপেক্ষী। ইয়াৰ এটা কাৰণ হ'ল কংগ্ৰেছৰ সাংগঠনিক দিশৰ পৰা বিমলা প্ৰসাদ চলিহা গোষ্ঠীয়ে মেধিৰ অপসাৰণৰ বাবে ভিতৰৰ পৰাই প্ৰবল হেঁচা দি আছিল। স্বৰ্গীয় চলিহা গোষ্ঠীৰ মূল অভিযোগ আছিল যে শ্ৰীমেধিৰ মন্ত্ৰীসভাই অসমৰ স্বাৰ্থ সম্পূৰ্ণভাৱে ৰক্ষা কৰিব পৰা নাই। এই মেধি-মন্ত্ৰিত্বৰ বিৰোধিতাই চৰম ৰূপ পায় গুৱাহাটী তেল শোধনাগাৰ আন্দোলনৰ সময়ত যাৰ ফলত অসমৰ মন্ত্ৰীসভাৰ নেতৃত্বৰ পৰা শ্ৰীমেধি বিতাড়িত হ'ল আৰু সেই আসন অধিকাৰ কৰিলে বিমলা প্ৰসাদ চলিহাই।

প্ৰশাসনৰ বাগজৰী নিজৰ হাতলৈ অনাৰ কেইমাহমানৰ ভিতৰতে অসমৰ ৰাইজে বুজিলে যে অসমৰ স্বাৰ্থ-ৰক্ষাৰ ধ্বনি অকল চলিহাৰ ব্যক্তিগত উন্নতিৰ সপোনহে আছিল, বাস্তৱ ক্ষেত্ৰতো তেখেতো মেধিৰ নিচিনা দিল্লীৰ মুখাপেক্ষী। গুৱাহাটীত এটা ল'ৰা নিচুকোৱা পুতলা তেল শোধনাগাৰ দি মূল শোধনাগাৰ আৰু আনুসংগিক ৰাসায়নিক কাৰখানাসমূহ উত্তৰ বিহাৰৰ বাৰাউনীয়ে ল'লে। বিমলা চলিহাৰ দহ বছৰীয়া শাসন কালত মাত্ৰ ব্ৰহ্মপুত্ৰত দলং এখন হ'ল। তাৰ বাদে ৰেল পৰিবহণ ব্যৱস্থাৰ কোনো উন্নতি নহ'ল। চৰকাৰী খণ্ডৰ বৃহৎ বা মজলীয়া শিল্পোদ্যোগ অসমত প্ৰতিষ্ঠিত নহ'ল। আনকি পৃথিৱীৰ সৰ্বপ্ৰধান চাহ উৎপাদক ৰূপে খ্যাতি লাভ কৰা ৰাজ্যত শিল্পৰ আনুষংগিক কোনো বৃহৎ ৰাসায়নিক শিল্পও গঢ়ি নুঠিল। ৰাষ্ট্ৰীয় খণ্ডত নামৰূপত স্থাপন হোৱা সাৰ কাৰখানাৰ বাবে আমাৰ নেতৃত্বই একো কৃতিত্ব ল'ব নোৱাৰে। কিয়নো প্ৰাকৃতিক গেছ আন ঠাইলৈ পৰিবহণ কৰা কষ্টসাধ্য আৰু ব্যয়-বহুলতাৰ বাবেহে নামৰূপত সাৰ কাৰখানা প্ৰতিষ্ঠা কৰিবলগা হৈছিল।

তেতিয়াৰ অসমৰ ৰাজহৰ পৰা কোটি কোটি টকা খৰচ কৰি বন্ধা অসমৰ ৰাজধানী চিলং নগৰী কেন্দ্ৰীয় চৰকাৰৰ পৰা এটা পইচাও ক্ষতিপূৰণ নোলোৱাকৈ মেঘালয় চৰকাৰৰ হাতত তুলি দিয়া হ'ল।

গম্ভীৰ প্ৰকৃতিৰ স্বল্পভাষী চলিহাৰ নিচিনা চতুৰ ৰাজনীতিবিদ আৰু ৰাজনৈতিক বিচক্ষণ যুঁজাৰু সমকালীন ভাৰতবৰ্ষত আৰু দুজনমানহে আছিল। পিছলৈ, সৰ্বভাৰতীয় নেতা বুলি স্বীকৃতি পোৱা ফখৰুদ্দিন আলি আহমেদ, মইনুল হক্ চৌধুৰী আৰু শ্ৰীদেৱকান্ত বৰুৱাৰ দৰে ৰাজনৈতিক মহাৰথীকো চহিলাই হেলাৰঙে স্থানীয় ৰাজনীতিৰ পৰা আঁতৰ কৰি দিছিল। এনে এগৰাকী অসমৰ শক্তিশালী নেতাইও অসমৰ স্বাৰ্থৰ হকে কেন্দ্ৰৰ সন্মুখত মাত মাতিবলৈ সাহস নকৰিলে। এয়া অসমৰ জাতীয় দুৰ্ভাগ্য। এনে দুৰ্বলতাৰ কাৰণ ব্যাখ্যা কৰি সেই সময়ৰ চৰকাৰী উচ্চপদস্থ বিষয়া এজনে ব্যক্তিগতভাৱে কৈছিল, " আমাৰ মুখ্যমন্ত্ৰী দিল্লী পালেই ধৰণী নোহোৱা হয়।" তদুপৰি জৱাহৰলাল নেহৰুৰ প্ৰতি থকা তেখেতৰ ব্যক্তিগত শ্ৰদ্ধা, ভক্তি আৰু ভয়ো ইয়াৰ বাবে কম দায়ী নহয়। বিমলা চলিহাৰ পিছত কিছুদিনৰ বাবে আহিল শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী। গোপীনাথ বৰদলৈৰ পিছত এইজনেই অসমৰ অনন্যসাধাৰণ একমাত্ৰ জননেতা যাৰ ৰাজনৈতিক জীৱনৰ ক্ষেত্ৰ কেৱল দলৰ অফিচ আৰু দলৰ বিধায়ক সকলৰ মাজতে সীমাবদ্ধ নাথাকি অসমৰ বৃহত্তৰ জনজীৱনলৈ প্ৰসাৰিত হৈছিল। সেয়েহে ফখৰুদ্দিন আলি আহমদ, দেৱকান্ত বৰুৱাক ওফৰাই পঠাবলৈ সম্ভৱ হ'লেও বিমলা চলিহাই শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীক অসমৰ ৰাজনৈতিক মঞ্চৰ পৰা আঁতৰাব পৰা নাছিল।

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীৰ শাসন কাল অতি চুটী। সেই সময়ৰ ভাৰতৰ ৰাজনৈতিক সম্ৰাজ্ঞী শ্ৰীমতী ইন্দিৰা গান্ধীৰ এটা টেলিফোনৰ নিৰ্দেশতেই অসমৰ ৰাজনীতিৰ পৰা শ্ৰীচৌধুৰী আঁতৰি যাব লগা হ'ল। ইয়াৰ পাছত ইন্দিৰা গান্ধীৰ নেতৃত্বত ভাৰতত 'সমাজবাদ' গঢ়া সপোন দেখা অসমৰ এক বুজন সংখ্যক ৰাজনীতিকে আৰু বুদ্ধিজীৱীয়ে ঢোলে-ডগৰে শ্ৰীশৰৎ সিংহক আগবঢ়াই আনিবলৈ সাজু হ'ল । এই ব্যক্তিসকলে এবাৰো ভাবি চোৱাৰ প্ৰয়োজনবোধ নকৰিলে যে বিধায়ক সকলৰ দ্বাৰা বৈধভাৱে নিৰ্বাচিত মুখ্যমন্ত্ৰী এজনক গুচাই আন এজন ব্যক্তিক দিল্লীৰ পৰা জাপি দিয়া কাৰ্যই গণতন্ত্ৰৰ মূল নীতিত কুঠাৰঘাত কৰিলে। তেনে এজন মুখ্যমন্ত্ৰী ৰাজতন্ত্ৰৰ একান্ত অনুগত হৈ থাকিবলৈ বাধ্য। অসমৰ জনতাৰ নায্য স্বাৰ্থৰ যোগ্য প্ৰতিনিধিত্ব এনে নেতাই দিল্লীত কৰিব নোৱাৰে। এনে ধৰণৰ মুখ্যমন্ত্ৰীয়ে অসমৰ সামুহিক স্বাৰ্থৰ হকে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে অতি দৃঢ়তাৰে যুঁজিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰক ভালৰি লগাবলৈ কোনো প্ৰাথমিক জৰীপ নকৰাকৈ ধান- চাউলৰ একচেটিয়া ব্যৱসায় চৰকাৰৰ হাতলৈ যি খাদ্য সমস্যাৰ যি হাহাকাৰ হ'ল তাক ৰাইজে সহজে নাপাহৰে। সেই সময়ত অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰীচৌধুৰীয়ে পাঞ্জাবৰ পৰা সহায়ৰ হাত আগ নবঢ়োৱা হ'লে কথা বিষমেই আছিল। নিজৰ ভৰিত থিয় দি ডাঙৰ হ'ব নোৱৰা ব্যক্তিৰ মনত সদায় ভয়, সন্দেহ আৰু আত্মবিশ্বাসহীনতাৰ ছাঁ পৰে। ইয়াৰ চূড়ান্ত উদাহৰণ হ'ল ১৯৭২ চনৰ ভাষা আন্দোলন। বাহ্যিক সৰলতা আৰু নিৰহঙ্কাৰিতাৰ অন্তৰালত বোধকৰো অহংভাবসিক্ত এক ৰাজসিক মনোবৃত্তিয়ে ক্ৰিয়া কৰা বাবে কৃষি, উদ্যোগ, শিক্ষা, নিবনুৱা সমস্যা সমাধান আদি ক্ষেত্ৰত শ্ৰীসিংহই অতি আন্তৰিকতাৰে যিবোৰ মহান আঁচনি ৰচিছিল আটাইবোৰেই আজি বিফলতাত পৰ্য্যবসিত হৈছে।

অসম ৰাইজৰ প্ৰতিনিধি হৈ যিসকল লোক আজি ত্ৰিশ বছৰে দিল্লীলৈ গৈছে তাৰ সৰহভাগেই ৰাজনৈতিক স্বকীয় দায়িত্ব পালনত চূড়ান্তভাৱে ব্যৰ্থ হৈছে। বুজনসংখ্যক লোকসভাৰ সদস্য নিৰ্বাচিত হৈ দিল্লীলৈ গৈছে, খাইছে, বইছে। আনে হাত দাঙিলে তেওঁলোকেও দাঙিছে। দিল্লীৰ আদব-কায়দা দুই-এটা শিকিছে। পাচ বছৰ পিছত অসমৰ সদস্য ঘৰলৈ উভতিছে, কথা ইমানেই। কিন্তু যিসকল উচ্চাকাংখী

পদাভিলাষী ৰাজনৈতিক ব্যক্তি তেখেতসকলে দিল্লী পায়েই বুজে যে ইয়াত অসমৰ কথা ভাবি লাভ নাই, 'সৰ্বভাৰতীয়' হ'বলৈ চেষ্টা কৰাই শ্ৰেয়। তেনে ব্যক্তিৰ ভিতৰত সাফল্যৰ শিখৰত উঠিছিল ফখৰুদ্দিন আলি আহমদ চাহাব। বহুবছৰ কেন্দ্ৰীয় নেতা হিচাপে দিল্লীত থাকি বহু কৰিব পৰা স্বত্বেও অসমবাসীৰ বাবে তেওঁ উল্লেখযোগ্য একো কৰিব নোৱাৰিলে। তেখেতৰ অবিহনে অসমৰ বাইজে যে বিশেষ কিবা হেৰুৱালে সেইটোও প্ৰকৃততে সঁচা নহয়। ইন্দিৰা গান্ধীৰ আঁচলত ধৰি সৰ্বভাৰতীয় নেতা হোৱা আন এজন ব্যক্তি হ'ল দেৱকান্ত বৰুৱা। 'ইন্দিৰাই ভাৰতবৰ্ষ' এই উক্তিৰ জনক দেৱকান্ত বৰুৱাৰ জন্ম যে অসমত, সেই কথা স্বীকাৰ কৰিবলৈ সৰহভাগ শিক্ষিত অসমীয়াই আজি লাজ পায়।

অসমীয়া নেতাৰ নগ্ন স্বাৰ্থপৰতা আৰু ব্যক্তিগত উচ্চাভিলাষৰ শ্ৰেষ্ঠ নিদৰ্শন হ'ল আন এজন ব্যক্তি যিজনে কংগ্ৰেছ বিৰোধী দলসমূহৰ বিধায়কৰ ভোটৰ দ্বাৰা ৰাজ্য সভালৈ নিৰ্বাচিত হৈ, দিল্লী পায়েই দিকদলৰ ঘাঁহনি বেছি সেউজীয়া যেন পাই দল সলাই কংগ্ৰেছত যোগ দিলে। চৰকাৰী খৰচত বহু দেশ-বিদেশ ঘুৰিলে। ভাৰতবৰ্ষৰ হৈ তেখেতে বিদেশত কি কৰিলে আমি নাজানো, কিন্তু অসমৰ হৈ যে তেখেতে মাত এষাৰো দিল্লীত মতা নাই সেই সম্পৰ্কে আমি নিশ্চিত। মজলীয়া বিধৰ নেতাৰ কথা নক'লেও হ'ব। তেখেতসকলৰ দক্ষতাও কম ক্ষমতাও কম। অসমলৈ ব্ৰডগজ ৰেল আনিমেই বুলি 'অৰ্জুনৰ জয়দ্ৰথ বধৰ' শপত খাই নিৰ্বাচন জিকি ছয় বছৰ পিছত, 'কেন্দ্ৰই নিদিলে আৰু কি কৰিব, মইতো চেষ্টা কৰিছিলোৱে' বুলি কোৱা নেতাৰ অভাৱ অসমত নাই।

এই বছৰৰ মাৰ্চ মাহৰ লোকসভা নিৰ্বাচনৰ পিছত আজি ত্ৰিশ বছৰ ধৰি গঢ়ি উঠা ৰাজনৈতিক প্ৰভু-ভৃত্যৰ সম্পৰ্ক হঠাতে ওলট-পালট হৈ গ'ল। আজি অসমৰ মুখ্যমন্ত্ৰীয়ে নেতৃত্বৰ স্থায়িত্বৰ বাবে দিল্লীৰ মুখলৈ নাচাই প্ৰথমবাৰৰ বাবে অসমৰ ৰাজ্য বিধান সভাৰ সদস্য তথা অসমৰ ৰাইজৰ মুখলৈ চাব লাগিব। দিল্লীৰ ৰাজপুৰুষ সবৰ সকলো কথাতে হয়ভৰ দি তোষামোদ কৰি মন্ত্ৰিত্ব পোৱাৰ দিন এতিয়া উকলিছে। নীতি কেন্দ্ৰীয় কমিটীৰ নিৰ্দেশমতে চলিলেও অসমৰ কংগ্ৰেছে অহা ৰাজ্যিক বিধানসভা নিৰ্বাচনত নিজৰ বাউসীৰ বলেৰে সাঁতুৰিব লাগিব। শকত ধনৰ মোনা আৰু গোপন নিৰ্দেশ লৈ দিল্লীৰ দূত অহাৰ থল নাই এই কথা সকলোৱেই বুজি পাইছে। সেয়েহে যশপাল কাপুৰৰ দৰে ব্যক্তি এজন আহোঁতে আমাৰ স্থানীয় নেতাসকলে যিদৰে তেল-টেঙা ঘঁহি গৈ অভ্যৰ্থনা দেখুৱাইছিল, তাৰ আধাখিনিও উৎসাহ নেদেখুৱালে অলপতে শ্ৰীকৃষ্ণ শঙ্কৰ পন্তৰ দৰে নেতা অসমলৈ অহাৰ সময়ত।

আমি বিশ্বাস কৰোঁ, কেন্দ্ৰৰ ওচৰত অসমৰ ন্যায্য দাবীসমূহ দৃঢ়তাৰে ডাঙি ধৰিবলৈ আৰু কেন্দ্ৰীয় চৰকাৰক অসমৰ দাবীসমূহ পূৰণ কৰিবলৈ বাধ্য কৰিবলৈ, লোকসভাৰ মজিয়াত যুক্তজালি উৰুৱা বক্তৃতাতকৈ বৰ্তমান আমাৰ দৰকাৰ হৈছে ৰাইজৰ আস্থাভাজন অৰ্জন কৰিব পৰা অধিক কাৰ্যকৰী আৰু বলিষ্ঠ মন্ত্ৰীসভা।

আসন্ন ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনলৈ আৰু সৰহ দিন নাই। নিৰ্বাচনী ৰণ কৌশল স্থিৰ কৰিবৰ সময় হৈ আহিছে। অসমৰ জনতা দলে যতদূৰ সম্ভৱ ৰাজ্যিক চৰকাৰৰ ওপৰত তথা অকৰ্মণ্যতা আৰু দুৰ্নীতিৰ অভিযোগকেই নিৰ্বাচনী প্ৰচাৰৰ আহিলা হিচাপে ল'ব। আনহাতে কংগ্ৰেছৰ ৰাজ্যিক নেতৃবৰ্গৰ বাবে প্ৰথমবাৰৰ বাবে তেখেতসকলৰ ৰাজনৈতিক অভিলাষ আৰু অসমৰ ৰাইজৰ স্বাৰ্থ একেটা সূতিৰে ব'ব। এই সুযোগ তেখেত সকলে কেনেদৰে ব্যৱহাৰ কৰে সেইটো চাবলৈ ৰাইজে বাট চাই আছে। ভয়শূন্য এক মুক্ত পৰিৱেশৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা সদস্যবৰ্গ পোন প্ৰথমবাৰৰ বাবে এইবাৰ কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন সমাধানৰ বাবে ভোটদাতা ৰাইজৰ সমুখা-সমুখি হ'ব লাগিব। তাৰে কেইটা হ'ল :

(১) কেন্দ্ৰই ব্ৰডগজ ৰেলৰ বাবে মাত্ৰ বছৰি এক কোটি টকা মঞ্জুৰি দিছে যাৰ ফলত বঙাইগাঁৱৰ পৰা

গুৱাহাটীলৈ ৰেল-লাইন বন্ধাৰ কাম এনে এক শামুকীয়া গতিৰে আগবাঢ়িছে, যে সেই ৰেল আহি কেতিয়া গুৱাহাটী পাব তাক কোনেও স্থিৰকৈ ক'ব নোৱাৰে।

(২) ব্ৰডগজ লাইন তিনিচুকীয়ালৈ সম্প্ৰসাৰিত কৰিব লাগে, এই দাবীৰ ওপৰত কেন্দ্ৰই কোনো গুৰুত্ব দিয়া নাই।

(৩) ৰঙিয়াৰ নতুন ৰেল ডিভিজন পতাৰ কথাটো ৰাইজৰ বাবে এতিয়া সাধুকথা যেন লগা হৈছে--ডিভিজন হ'বনে নহয় কোনেও নাজানে।

(৪) ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান-নিয়ন্ত্ৰণৰ বাবে কোনো সুস্থ কাৰ্যকৰী পৰিকল্পনা এতিয়াও লোৱা হোৱা নাই। ব্ৰহ্মপুত্ৰ বান-নিয়ন্ত্ৰণ আয়োগ এক হাস্যকৰ প্ৰতিষ্ঠানত পৰিণত হৈছে। বান-নিয়ন্ত্ৰণৰ কোনো কাৰ্যকৰী ব্যৱস্থা নোহোৱাৰ ফলত গোটেই অসম উপত্যকাখনেই বিলুপ্ত হোৱাৰ সম্ভাৱনাই দেখা দিছে।

(৫) অসমৰ নতুন স্থায়ী ৰাজধানী বন্ধাৰ খৰচ কেন্দ্ৰই ক্ষতিপূৰণৰ ৰূপত নিদি, অধিকাংশ ধনেই ঋণস্বৰূপে দিবলৈ ওলাইছে, যি ঋণ অসমৰ দুখীয়া ৰাইজে কোনো দিনেই সুজাৰ ক্ষমতা নাই।

(৬) শিলং নগৰত খৰচ কৰা কোটি কোটি টকা অসমবাসীয়ে কেন্দ্ৰৰ হুকুমত মেঘালয় চৰকাৰক দান হিচাপে দিবলৈ বাধ্য হৈছে। এই ধন অসমে কেন্দ্ৰৰ পৰা পাব নে নাপায়?

(৭) বঙাইগাঁৱত প্ৰতিষ্ঠিত তেল শোধনাগাৰৰ আনুষঙ্গিক নেফ্‌ঠা প্ৰকল্পটো অসমৰ পৰা আঁতৰোৱাৰ প্ৰচেষ্টা চলিব ধৰিছে।

(৮) মেজেঙাৰ সাৰ কাৰখানা প্ৰতিষ্ঠাৰ স্থিৰ সিদ্ধান্ত হোৱা নাই।

(৯) শিলঘাট আৰু যোগীঘোপাত ব্ৰহ্মপুত্ৰৰ ওপৰত যি দুখন দলঙৰ বাবে অসমৰ ৰাইজে ইমান বছৰে যি আবেদন নিবেদন কৰি আহিছে তাৰ কোনো ফল ধৰা নাই।

(১০) উত্তৰ-পূব পৰিষদ সংস্থাৰ দ্বাৰা অসম ৰাজ্য একো উপকৃত হোৱা নাই।

অসমক বৰ্তমান এনে এক নেতৃত্বৰ প্ৰয়োজন হৈছে যি নেতৃত্বই উপৰোক্ত ৰাজ্যিক বৃহত্তৰ সমস্যাসমূহ সমাধান কৰাৰ উপৰিও অসমৰ গ্ৰামাঞ্চলত বাস কৰা লক্ষ লক্ষ সৰ্বহাৰাৰ অন্ন, গৃহ আৰু বস্ত্ৰ যোগানৰ সমগ্ৰ দায়িত্ব বহন কৰাৰ প্ৰতিশ্ৰুতি দিব পাৰিব; দিনে দিনে প্ৰকট হৈ নিবনুৱা সমস্যাৰ ওৰ পেলাব পাৰিব আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ন্যায়-সংগত দাবী দৃঢ়তাৰে উত্থাপন কৰি অসমক এখন সমৃদ্ধিশালী ৰাজ্য ৰূপে গঢ় দিয়াৰ দায়িত্ব বহন কৰিব পাৰিব।

প্ৰশ্ন উঠিব পাৰে, অসমৰ জনতা দলৰ নেতৃত্বৰ সমস্যা আমি সযতনে এৰাই গ'লোঁ কিয়? আমাৰ ধাৰণাত অসমৰ জনতা দলৰ এতিয়াও কোনো স্থিৰ নেতৃত্বই গঢ় ল'ব পৰা নাই। কেইজনমান সৎ আৰু ৰাজনৈতিক স্থিৰতা থকা ব্যক্তিৰ ব্যতিৰেকে, বৰ্তমান জনতাৰ নেতা বুলি জাহিৰ কৰা সৰহভাগ ব্যক্তিয়েই হ'ল কেন্দ্ৰীয় নিৰ্বাচনৰ পিছত জনতাত ভৰ্তি হোৱা সুবিধাবাদী লোক।

জীৱনত ৰাজনৈতিক দল বা ৰাজনৈতিক দৰ্শন সলায় সলায় ঘূৰ্ণীয়া হোৱা বহু ব্যক্তিয়ে বৰ্তমানে জনতা দলৰ নেতাৰূপে স্বীকৃতি পাইছে। কংগ্ৰেছৰ দুৰ্নীতিক প্ৰশ্ৰয় দিয়া দলৰ মাজতো দুৰ্নীতিপৰায়ণ বুলি অপযশ থকা ব্যক্তিয়ে বৰ্তমান জনতা দলৰ ছত্ৰছায়াত আশ্ৰয় লৈছে। আমি ভাবোঁ, অহা ৰাজ্যিক বিধান সভা নিৰ্বাচনৰ আগতে যদি অসমৰ সমূহ জনতাই আঁকোৱালি ল'ব পৰা জনতা দলৰ এটি শক্তিশালী নেতৃত্ব গঢ়ি নুঠে আৰু নিৰ্বাচনৰ অন্তত জনতা দলে কোনো ৰকমে জোৰা-তালি মাৰি অসমত চৰকাৰ গঠন কৰিবলৈ সক্ষমো হয়, তেন্তে নেতৃত্বই অসমৰ সামূহিক প্ৰগতিত একো বৰঙণি যোগাব নোৱাৰিব। আগৰ অসম, আগৰ অসম হৈয়ে ৰ'ব, জনতাৰ অসম নহ'ব।

পৰিশিষ্ট

১৯৬৮ চনৰ পৰা ১৯৭৭ চনলৈ সাপ্তাহিক নীলাচলত হোমেন বৰগোহাঞিয়ে ৰচনা কৰা সম্পাদকীয়খিনিৰ লগত ঐতিহাসিক গুৰুত্বলৈ চাই উক্ত সময়ছোৱাৰ নীলাচলত প্ৰকাশিত কিছুসংখ্যক গুৰুত্বপূৰ্ণ নিবন্ধ, চিঠি ইত্যাদি এই পৰিশিষ্টত সংযোগ কৰা হ'ল। সময়ৰ সোঁতত নীলাচল নামৰ গুৰুত্বপূৰ্ণ সংবাদ-পত্ৰখন উপযুক্তভাৱে সংৰক্ষণ কৰি ৰখাত আমি হয়তো সফল হ'ব নোৱাৰিলো। পিছলৈ কোনো গৱেষকে নীলাচলৰ বিষয়ে যথোপযুক্ত গৱেষণা কৰি আৰু অধিক কথা পাঠকক জ্ঞাত কৰিব বুলি আমি আশা কৰিলোঁ।

হোমেন বৰগোহাঞিয়ে ২৬ মার্চ, ১৯৬৯ ইং তাৰিখে সাপ্তাহিক নীলাচলত অসমৰ তদানিন্তন উদ্যোগ মন্ত্ৰীলৈ লিখা চিঠি ঃ

অসমৰ উদ্যোগ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মালৈ

শ্ৰদ্ধেয় শ্ৰীশৰ্মা ডাঙৰীয়া,

এইখন আপোনালৈ মোৰ দ্বিতীয় চিঠি। ইয়াৰ আগতে লিখা প্ৰথমখন চিঠিৰ আপোনাৰ পৰা কোনো উত্তৰ নাপালোঁ। অৱশ্যে অনেক সময়ত কথাতকৈ নীৰৱতাহে বেছি অৰ্থপূৰ্ণ হৈ উঠে, আৰু সেই দৃষ্টিকোণৰ পৰা চাই আপোনাৰ নীৰৱতাকেই অসমৰ ৰাইজে এটা উত্তৰ বুলি ধৰি লৈছে। অসমৰ উদ্যোগ বিভাগৰ বিৰুদ্ধে এই ৰাজ্যৰ জনসাধাৰণৰ অভিযোগ দিনে দিনে পুঞ্জীভূত হৈ উঠিছে, আৰু সেই অভিযোগবোৰৰ উত্তৰ নিদি মনে মনে থকাটো আপোনাসকলৰ পক্ষে আৰু বেছি দিন সম্ভৱ হৈ নাথাকিব বুলি বহুতে ভাবে।

মোৰ এই চিঠিখনৰ মূল বক্তব্যলৈ যোৱাৰ আগতে মই কেইটামান কথা পৰিষ্কাৰ কৰি ল'ব খোজোঁ। মই বিভিন্ন বিশ্বস্ত সূত্ৰৰ পৰা জানিব পাৰিছোঁ যে আপুনি উদ্যোগ দপ্তৰৰ দায়িত্ব ল'বৰ দিন ধৰি অসমৰ ঔদ্যোগীকৰণ ত্বৰান্বিত কৰিবৰ কাৰণে আৰু এই ৰাজ্যৰ থলুৱা লোকক সৰ্বাধিক সুবিধা দিবৰ কাৰণে নানা চেষ্টা কৰি আহিছে। কিন্তু এই পৰ্যন্ত আপোনাৰ সকলো চেষ্টা ব্যৰ্থ হৈছে। তাৰ কাৰণ যাইকে দুটা বুলি আমি জানিব পাৰিছোঁ। প্ৰথমতঃ আপোনাৰ পূৰ্ববৰ্তী উদ্যোগ মন্ত্ৰীজনাই তেখেতৰ সুদীৰ্ঘ কাৰ্যকালত এই সমগ্ৰ দপ্তৰটো এনেভাৱে বিহ-মেটেকাৰে পুতি থৈ গৈছে যে সেইবোৰ দূৰ কৰি দপ্তৰটো পৰিষ্কাৰ কৰা কেৱল আপোনাৰ কিয়— যিকোনো মানুহৰ পক্ষেই সাধ্যাতীত বুলিয়েই বিবেচিত হৈছে। দ্বিতীয়তে, আপোনাৰ ইচ্ছাৰ বাটত আটাইতকৈ ডাঙৰ প্ৰতিবন্ধক হৈ থিয় দিছে আপোনাৰেই তলতীয়া উদ্যোগ বিভাগৰ ৰৰমুৰীয়া আমোলাসকল। 'মানুহে পাতে ঈশ্বৰে ভাঙে' হোৱাৰ দৰে আপুনি যোলে বিহকে কৰিব খোজে তাতেই এই বিষয়াসকলে নানা চল-চক্ৰান্ত কৰি বিধি-পথালি দিয়ে। আপুনি এটা কথা জানেনে নাজানে ক'ব নোৱাৰোঁ, কিন্তু মানুহে আজিকালি বাটে-ঘাটে প্ৰকাশ্যেই কোৱা-মেলা কৰে যে আপুনি নিজ হাতে দিয়া আদেশকো যোলে এই বিষয়াসকলে গ্ৰহণ নকৰি নিজ ইচ্ছানুসাৰে কাম কৰে। যিহকে হ'লেও এনে এটা ধাৰণা মানুহৰ

মাজত প্ৰচাৰ হোৱাটো সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাত মন্ত্ৰীৰ কৰ্তৃত্ব আৰু দায়িত্বৰ কাৰণে যে কিমান ক্ষতিকাৰক, এই কথা দোহাৰিবৰ নিশ্চয় সকাম নাই। বিয়াল্লিশৰ আন্দোলনত আমি বেছ সৰু আছিলোঁ, কিন্তু মোৰ এটা কথা স্পষ্টভাৱে মনত আছে যে আমি তেতিয়া ডাঙৰৰ পিচে পিচে শোভাযাত্ৰা কৰি ঘূৰি ফুৰোঁতে 'আমোলাতন্ত্ৰ ধ্বংস হওক' বুলি টেঁটু ফাটি যোৱাকৈ চিঞৰিছিলোঁ। অৰ্থাৎ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এটা ঘাই লক্ষ্য আছিল আমোলাতন্ত্ৰৰ অপ্ৰয়োজনীয় ক্ষমতা আৰু স্বেচ্ছাচাৰিতা হ্ৰাস কৰি ৰাইজৰ প্ৰতিনিধি (অৰ্থাৎ মন্ত্ৰীৰ) হাতলৈ সেই ক্ষমতা হস্তান্তৰ কৰা। ৰাইজে নিজৰ কথা ৰক্ষা কৰি আপোনালোকক সেই ক্ষমতা দিছিলোঁ। কিন্তু অতি আচৰিত কথা যে মাত্ৰ কুৰি বছৰৰ ভিতৰতে আপোনাসকলে অৰ্থাৎ মন্ত্ৰীসকলে নিজে পোৱা সকলো ক্ষমতা পুনৰ বিষয়াসকলৰ হাতত এৰি দি আমোলাতন্ত্ৰক এনেভাৱে ক্ষমতাশালী কৰিলে যে আজি ভাৰতত বৃটিছৰ দিনতকৈও বেছি ঔদ্ধত্যেৰে আমোলাতন্ত্ৰৰ ৰাজত্ব চলিছে। ৰাইজৰ মাজত আজি এনে কথাও প্ৰচাৰ হ'ব ধৰিছে যে কোনোবা এজন মন্ত্ৰীয়ে নিজে দিয়া আদেশ বোলে তেওঁৰে বিভাগীয় ৰৰমূৰীয়া বিষয়াজনে ভৰিৰে গচকি বাহিৰলৈ দলিয়াই দিলে। মই আশা কৰিছোঁ যে এই কথা একেবাৰে মিছা; মই ধৰি লৈছোঁ যে নিজৰ স্বাৰ্থ পূৰণ নোহোৱা কোনোবা নিস্পৃক স্বভাৱৰ মানুহেৰে মন্ত্ৰী বিশেষক লঘু কৰিবৰ বাবে এইবোৰ কথা প্ৰচাৰ কৰি ফুৰিছে। কিন্তু লগতে এই কথাও মনত ৰখা দৰকাৰ যে ধোঁৱা দেখিলেই জুইৰ অস্তিত্বক মানি ল'বই লাগিব। এটা কথা স্বীকাৰ কৰিবই লাগিব যে, কেৱল আপোনাৰ বিভাগতে নহয়— প্ৰায় সকলো চৰকাৰী বিভাগতে আমোলাতান্ত্ৰিক স্বেচ্ছাচাৰিতা দিনে দিনে বাঢ়ি আহিছে। এই স্বেচ্ছাচাৰিতাৰ সমুখত মন্ত্ৰীসকল নিৰুপায় দৰ্শকৰ নিচিনাহে হৈ পৰিছে। কোনোবা জন-হিতৈষী মন্ত্ৰীয়ে দুটা এটা ভাল কাম কৰিবলৈ আগবাঢ়িও প্ৰশাসন-যন্ত্ৰৰ পুঞ্জীভূত দুৰ্নীতি আৰু কৰ্তব্য-বিমুখিতাৰ পৰ্বত-প্ৰমাণ ৰূপ দেখি অসহায় হৈ ভেবা লাগি চাই ৰয়, ক'ত কেনেকৈ সংশোধন বা সংস্কাৰ আৰম্ভ কৰিব তাক ঠিক কৰিব নোৱাৰি তেওঁ অৱশেষত অসহায় আৰু নিষ্ক্ৰিয় দৰ্শকতহে পৰিণত হয়। এইটো অৱস্থা কিয় আৰু কেনেকৈ হ'বলৈ পাইছে আপুনি দকৈ চিন্তা কৰি চোৱা উচিত। আমি অৱশ্যে নিজে কেইটামান কাৰণ বিচাৰি পাইছোঁ। আপোনাৰ বিবেচনাৰ বাবে মই সেই কাৰণকেইটা ইয়াত উল্লেখ কৰিলোঁ। প্ৰথম আৰু ঘাই কাৰণ হ'ল কিছুমান মন্ত্ৰীয়ে বিষয়াসকলৰ লগত লগ লাগি নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে দুৰ্নীতিত লিপ্ত হয়। দুৰ্নীতি আৰু অন্যায়-কৰ্মৰ অংশীদাৰ এই বিষয়াসকলে পিচলৈ সেই মন্ত্ৰীক বিন্দুমাত্ৰ ভয় নকৰা হয়। পাচলৈ সেই বিষয়াজনে আন মন্ত্ৰীৰ অধীনত কাম কৰিব লগা হ'লেও তেওঁৰ পূৰ্বৰ পৃষ্ঠপোষক মন্ত্ৰীজনে তেওঁক এনেভাৱে ৰক্ষা-কবচ দিয়ে যে দ্বিতীয়জন মন্ত্ৰীকো তেওঁ অকণো ভয় কৰাৰ প্ৰয়োজনবোধ নকৰে। এনেভাৱে মন্ত্ৰী আৰু বিষয়াৰ মাজত লাহে লাহে এটা দুৰ্ভেদ্য পাপ-চক্ৰ গঢ়ি উঠে। দ্বিতীয়তে, নিৰক্ষৰ দেশৰ গণতন্ত্ৰ বুলিয়েই নেকি আমাৰ ৰাজ্যৰ বেছি ভাগ মন্ত্ৰীকেই শিক্ষা, প্ৰতিভা আৰু অভিজ্ঞতাৰ ভিত্তিত নিয়োগ কৰা নহয়; নিয়োগ কৰা হয় অঞ্চল বা সম্প্ৰদায় বিশেষৰ প্ৰতিনিধি হিচাবেহে। এনে যোগ্যতাহীন লোক মন্ত্ৰী হৈ বিষয়াসকলৰ হাতৰ পুতলা বা ৰবাৰ ষ্টাম্প মাত্ৰ হৈ পৰে। তৃতীয়তে আমাৰ দেশৰ মন্ত্ৰীসকলৰ বেচি ভাগ সময় চৰকাৰী খৰচত ভ্ৰমণ বা মেল-মিটিং কৰি ফুৰোঁতেই যায়; কোনো এটা বিষয় খৰচি মাৰি অধ্যয়ন কৰিবলৈ বা নথি পঢ়ি তাৰ ওপৰত সুচিন্তিত আদেশ দিবলৈ তেওঁলোকৰে বেছি ভাগৰে সময় বা ধৈৰ্য নাই। এনে হোৱাৰ ফলত বিষয়াসকলে মন্ত্ৰীসকলক ফাঁকি দিবলৈ আৰু সেই ফাঁকিৰ দ্বাৰাই নিজৰ স্বাৰ্থ-পূৰণ কৰি ল'বলৈ সুবিধা পায়।

উদ্যোগ-বিভাগৰ দ্বাৰা সংঘটিত নানাবিধ কু-কাৰ্যৰ কাৰণে ওপৰত উল্লেখ কৰা কোনটো কাৰণ দায়ী,

সেই কথা আপুনি নিজেই বিবেচনা কৰি চাব। যিটো কাৰণ বা যিবোৰ মানুহেই দায়ী নহওক, এটা কথা অস্বীকাৰ কৰিবলৈ কাৰো উপায় নাই যে যোৱা কুৰি বছৰে অসম চৰকাৰৰ উদ্যোগ বিভাগে অসমৰ থলুৱা লোকৰ একো উপকাৰ সাধিব পৰা নাই। আমাৰ এই উক্তি মিছা বুলি প্ৰমাণ কৰিবলৈ আপোনাৰ এটা মাত্ৰ উপায় আছে। সেইটো হ'ল— যোৱা কুৰি বছৰে উদ্যোগ বিভাগৰ সক্ৰিয় সহায়-সহযোগিতাত কেইজন থলুৱা মানুহে উদ্যোগ প্ৰতিষ্ঠা কৰি স্বাবলম্বী হৈ থাই আছে— তাৰ এখন তালিকা প্ৰকাশ কৰা। দ্বিতীয়তে, এই কথা অস্বীকাৰ কৰিবলৈকো কাৰো একো উপায় নাই যে অসমৰ ঔদ্যোগীকৰণৰ নামত যোৱা কুৰি বছৰে ৰাইজৰ কোটি কোটি টকাৰ শ্ৰাদ্ধ হৈছে, অনা-অসমীয়া কেইজনমান অসাধু আৰু চাইনবোৰ্ড-সৰ্বস্ব ব্যবসায়ীয়ে মাফতে উদ্যোগ লাইচেন্স আৰু ইম্‌পৰ্ট লাইচেন্সৰ অসদ্ব্যৱহাৰ কৰি অসমত কোটি কোটি টকা ঘটি বাহিৰলৈ পলাই গৈছে, আৰু কেইজনমান বিষয়া আৰু তেওঁলোকৰ ৰাজনৈতিক পৃষ্ঠপোষকসকলে বিবেকৰ বিন্দু মাত্ৰ দংশন অনুভৱ নকৰাকৈ অসমৰ স্বাৰ্থ বলি দি নিজৰ উদৰ স্ফীত কৰিছে। আমাৰ এই উক্তিৰ প্ৰতিবাদ কৰিবলৈকো আপোনাৰ এটাই মাত্ৰ উপায় আছে। সেইটো হ'ল- উদ্যোগ বিভাগৰ যিখন ৰেজিষ্টাৰ বহীত আদিৰে পৰা এতিয়ালৈকে (১) ক্ষুদ্ৰ বা কুটিৰ শিল্পৰ ইউনিটবোৰ পঞ্জীবদ্ধ কৰা হৈছে, (২) কেঁচা মাল যোগান ধৰাৰ আৰু essentiality certificate দিয়াৰ হিচাব ৰখা হৈছে, (৩) নতুন উদ্যোগ স্থাপন কৰিবলৈ লাইচেন্স পোৱা মানুহৰ নাম লিখা আছে— সেইখন প্ৰকাশ কৰক; উদ্যোগ বিভাগে এতিয়ালৈকে কিনা সকলো সাজ-সৰঞ্জাম আৰু তাৰ মূল্য-তালিকা প্ৰকাশ কৰক; এটা নিৰপেক্ষ তদন্ত কমিটিক সেই, সাজ-সৰঞ্জামবোৰৰ চৰজমিন পৰীক্ষা কৰিবলৈ ক্ষমতা দিয়ক; সেই একেটা তদন্ত কমিটিকেই বিভিন্ন ঔদ্যোগিক ইউনিটবোৰৰ কাম-কাজৰ চৰজমিন পৰীক্ষা কৰিবলৈ দায়িত্ব দিয়ক; টকাৰ হিচাবত (in terms of money) উদ্যোগ বিভাগে এই পৰ্যন্ত আগবঢ়োৱা মুঠ সাহায্য আৰু লাইচেন্সৰ শতকৰা কিমান ভাগ থলুৱা লোকে পাইছে আৰু কিমান ভাগ পাইছে বাহিৰৰ ব্যবসায়ীয়ে— তাৰ এটা স্পষ্ট হিচাব দিয়ক; অসম চৰকাৰৰ উদ্যোগ বিভাগৰ লাইচেন্স, ইম্‌পৰ্ট লাইচেন্স আৰু অন্যান্য সা-সুবিধা লৈ স্থাপিত আৰু পৰিচালিত কিমানটা উদ্যোগ আৰম্ভণিৰে পৰা এতিয়ালৈকে জীয়াই আছে, কিমানটা মৰিল, সেইবোৰত থলুৱা লোকৰ নিযুক্তিৰ হাৰ কি— এইবোৰৰ এটা স্পষ্ট হিচাব দিয়ক; সৰ্বশেষত, ৰাইজৰ মনত ঘনীভূত হোৱা সন্দেহ দূৰ কৰিবৰ কাৰণে যোৱা কুৰি বছৰে উদ্যোগ বিভাগৰ লগত ঘনিষ্ঠভাৱে জড়িত উচ্চ-ক্ষমতাসম্পন্ন লোকসকলৰ সা-সম্পত্তিৰ বিষয়ে এটা তদন্ত চলাওক।

মই ইমানখিনি কথা কিয় ক'ব লগা হৈছে তাৰ কাৰণ হিচাবে আপোনাক এটা গল্প কওঁ। আজিৰ পৰা প্ৰায় ষোল বছৰৰ আগতে কোনো এটা ব্যক্তিগত ব্যৱসায়ী প্ৰতিষ্ঠানৰ পৰা খেদা খোৱা এজন অনা-অসমীয়া ভদ্ৰলোকে 'ফেবোজ এণ্ড কোম্পানী' নাম দি এটা কোম্পানী খোলে, আৰু গজাল আৰু কাটা তাঁৰ আদি বস্তু তৈয়াৰ কৰিবলৈ আৰম্ভ কৰে। তেওঁৰ কাৰখানাটো আছিল নিচেই সৰু। তাত কেৱল দুটা অতি সৰু গজাল তৈয়াৰ কৰা যন্ত্ৰ আৰু এটা তাঁৰ টানিব পৰা যন্ত্ৰ আছিল। সিও ভালকৈ চলা নাছিল। এই কোম্পানীটোৱেই হঠাৎ এদিন অসম চৰকাৰৰ উদ্যোগ বিভাগৰ কৃপা-দৃষ্টি আকৰ্ষণ কৰিলে, আৰু ১৯৫২ চনৰ পৰা ১৯৫৭ চনৰ ভিতৰত জাপান আৰু পোলেণ্ডৰ পৰা বিপুল পৰিমাণৰ দুষ্প্ৰাপ্য লো আৰু পিতলৰ গেলভেনাইজ তাঁৰ আৰু প্লেইনচীট্ আমদানি কৰিবলৈ অনুমতি-পত্ৰ লাভ কৰিলে। এই বস্তুবোৰ কোনো দিনেই আহি অসম নাপালেহি। আমি পোৱা খাতৰি মতে সকলোবোৰ বস্তু কলিকতা-দিল্লী আদি ঠাইত নিষিদ্ধ মূল্যত বিক্ৰী কৰি কোম্পানীটোৱে (?) প্ৰায় দহ লাখ টকা লাভ কৰিলে। ১৯৫৭ চনৰ অক্টোবৰ মাহত সেই একেটা

কোম্পানীয়েই উদ্যোগ বিভাগৰ এজন সৰ্বোচ্চ পদস্থ বিষয়াৰ সক্রিয় সহযোগিতাত নতুন এটা কাৰখানা খুলিলে। কাৰখানাটোত যন্ত্র-পাতি, বনুৱা-কাৰিকৰ— এইবোৰ একো নাছিল; আছিল মাত্র এখন বিৰাট চাইনবোর্ড। এই কাৰখানাটোৰ কাৰণে কোম্পানীটোৱে একেদিনাৰ ভিতৰতে ৰেজিষ্ট্রেছন লাভ কৰি ১৭৫ টন আমদানি কৰা ৱায়াৰ আৰু ২০০ টন গেল্‌ভেনাইজড প্লেইন্ চীটৰ কাৰণে essentiality certificate লাভ কৰিলে। এই সময়ৰ কেতবোৰ ঘটনা অতি ৰহস্যময় অন্ধকাৰত আবৃত। সি যি কি নহওক, এই দুৰ্মূল্য বস্তুখিনিও বাহিৰত বিপুল পৰিমাণৰ লাভত বিক্ৰী কৰা হ'ল, আৰু অসমৰ মানুহৰ চকুত ধূলি দিবৰ কাৰণে কেইপদমান বস্তু মাত্র কাৰখানাটোত আনি ৰখা হ'ল। তাৰ পাচত প্রতি বছৰেই এই কোম্পানীটোৱে দুষ্প্রাপ্য আৰু বিদেশৰ পৰা আমদানি কৰিব লগা লো-পিতলৰ তাঁৰ আৰু গেল্‌ভেনাইজড প্লেইন চীটৰ লাইচেন্স ভোগ কৰি থাকিল। এইবোৰ বস্তুৰ মাত্র শতকৰা পাঁচ ভাগহে অসমলৈ অনা হ'ল। বাকী গোটেইবোৰ বস্তু অসমৰ বাহিৰতে নিষিদ্ধ মূল্যত বিক্ৰী কৰি কোম্পানীটো কোটিপতিত পৰিণত হ'ল।

১৯৬১-৬২ চনত অসম চৰকাৰৰ উদ্যোগ বিভাগে এই কোম্পানীটোক ৮০ টন পৰিমাণৰ দুষ্প্রাপ্য কপাৰ মেট আমদানি কৰিবলৈ অনুমতি দিলে। এই বস্তুটো Copper Wire Transmission Line তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। আমি পোৱা খবৰ মতে (খবৰৰ সত্যাসত্য সম্পৰ্কে সম্প্রতি আমি নীৰৱ) এইখিনি বস্তুও কলিকতাত ৩৩ লাখ টকাত বিক্ৰী কৰি দিয়া হ'ল। কিন্তু দুৰ্ভাগ্যবশতঃ এইবাৰ কলিকতাৰ কাষ্টমচ বিভাগে অসম চৰকাৰৰ প্রিয়-পাত্র ব্যৱসায়ীজনক হাতে হাতে ধৰা পেলাই গ্রেপ্তাৰ কৰিলে। কিন্তু ব্যৱসায়ীজনৰ ৰাজনৈতিক পৃষ্ঠপোষকজনে ততালিকে হস্তক্ষেপ কৰি পশ্চিমবঙ্গৰ তদানীন্তন মুখ্যমন্ত্রীৰ সহায়ত গোচৰটো অসমলৈ স্থানান্তৰিত কৰিলে, আৰু লগে লগেই তাক পুতি পেলালে। এইখিনিতে উল্লেখ্য যে যিটো প্রতিষ্ঠানে ওপৰত উল্লেখ কৰা বস্তুখিনি কিনিছিল, সেইটো হ'ল বোম্বাইৰ ভাৰত-বিখ্যাত কামানি ইঞ্জিনিয়াৰিং।

উদ্যোগ স্থাপনৰ নামত অসমত কুটা এগছ নকৰিও এই কোম্পানীটোৱে ১৯৬৩ চনৰ পৰা ১৯৬৫ চনৰ ভিতৰত তলত উল্লেখ কৰা দুষ্প্রাপ্য আৰু মহাৰ্ঘ বস্তুবোৰ পাবলৈ সমৰ্থ হ'ল—

(১) ৱায়াৰ প্ৰডাক্টচ্- ৫ লাখ টকাৰ (প্রতি বছৰে)

(২) জি পি চীটচ্- ৭ লাখ টকাৰ (প্রতি বছৰে)

(৩) কপাৰ প্লেট- ১০ লাখ টকাৰ

(৪) ব্রাছ- ৫ লাখ টকাৰ

(৫) জিংক- ৪ লাখ টকাৰ

(জি পি চীটবোৰ বিজিঙচ, ড্রাম, বাল্টি আদি তৈয়াৰ কৰিবৰ কাৰণে ব্যৱহাৰ কৰা হয়। কপাৰ প্লেট কপাৰ ৱায়াৰ তৈয়াৰ কৰাৰ কামত ব্যৱহাৰ হয়)।

১৯৬৪-৬৫ চনত উক্ত ব্যৱসায়ী প্রতিষ্ঠানটোৰ মুৰব্বীজনৰ পত্নীৰ নামত মেচাৰ্চ বড়া ইণ্ডাষ্ট্রীজ নামৰ এটা উদ্যোগ প্রতিষ্ঠান আৰম্ভ কৰা হয়, আৰু লগে লগেই এই কোম্পানীয়ে ১০ লাখ টকা মূল্যৰ ষ্টেইনলেছ ষ্টীল কিনিবলৈ অনুমতি পত্র লাভ কৰে।

১৯৬৫ চনত ভাৰত চৰকাৰে ট্রেন্সমিছন লাইনত কপাৰ ৱায়াৰ ব্যৱহাৰ কৰা নিষিদ্ধ কৰে। তেতিয়া অসম চৰকাৰৰ উদ্যোগ বিভাগে এই ব্যৱসায়ীজনক সহায় কৰিবৰ কাৰণে 'ক্ষুদ্র উদ্যোগ উন্নয়ন নিগম (Small Industry Development Corporation)'ৰ জৰিয়তে হাতত ল'বলৈ আচুতীয়াকৈ ৰখা এলুমিনিয়াম ৱায়াৰ আৰু কণ্ডাক্টৰ তৈয়াৰ কৰা কামৰ অনুমতি-পত্র বা লাইচেন্সকে এই কোম্পানীক দি দিলে। সেই

সময়ত উদ্যোগ বিভাগৰ বৰ্তমান সঞ্চালকজনেই ‘ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম’ৰ মেনেজিং ডিৰেক্টৰ আৰু সৰ্বময় কৰ্তা আছিল। এই বিষয়াজনে অসমত ঔদ্যোগীকৰণ ত্বৰান্বিত কৰিবৰ কাৰণে ইমান ব্যগ্ৰ হৈ উঠিছিল যে নিজৰ ক্ষমতা অন্যায়ভাবে প্ৰয়োগ কৰিও আৰু সকলো নীতি-নিয়ম নেওচা দিও এই ভুৱা কোম্পানীক কেৱল অনুমতি-পত্ৰ দিয়াই নহয়, গিৰিয়েকৰ জামিনত ঘৈণীয়েকক ১২ লাখ টকা ধাৰ দি পেলালে। সেই সময়তে ‘ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম’ৰ সভাপতি আছিল স্বৰ্গীয় যাদব প্ৰসাদ চলিহা আৰু অন্যতম বিশিষ্ট সদস্য আছিল অসম প্ৰদেশ কংগ্ৰেছৰ বৰ্তমান সাধাৰণ সম্পাদক শ্ৰীনবীন কাকতী। অসমৰ এনেদৰে উন্নতি হোৱা এই ভদ্ৰলোক দুজনৰ বোধহয় সহ্য নহ’ল, সেই কাৰণে অত্যুৎসাহী মেনেজিং ডিৰেক্টৰজনৰ কামৰ প্ৰতিবাদ কৰি তেওঁলোক দুয়োৰে পদত্যাগ কৰিলে। এই সম্পৰ্কে বিশদ বিবৰণ ১৯৬৫ চনৰ জুন মাহৰ (৫ জুন?) ‘অসম বাতৰি’ত প্ৰকাশ হৈছিল। অনুসন্ধিৎসু পাঠকে পঢ়ি চাব পাৰে।

সেই একে বছৰতে ফেৰোজ এণ্ড কোম্পানীৰ নামত অসম চৰকাৰে দহ বিঘা মাটিও বন্দবস্তী দিয়ে বুলি শুনা যায়।

আপুনি এই কথা জানে যে ভাৰতত সমাজবাদী পেটাৰ্নৰ সমাজ গঢ়িবলৈ প্ৰতিশ্ৰুতিবদ্ধ আপোনাৰ পাৰ্টিৰ পৃষ্ঠপোষকতাতে বিৰলা উদ্যোগ গোষ্ঠীয়ে ১৯৬৩ চনৰ পৰা ১৯৬৭ চনৰ ভিতৰত তেওঁলোকৰ সম্পত্তি ২৯৩ কোটি টকাৰ পৰা ৫১০ কোটি টকালৈ বৃদ্ধি কৰিলে। ঠিক সেই একে সাঁচতে আৰু আপোনাৰ চৰকাৰৰ উদ্যোগ বিভাগৰ সক্ৰিয় সহায়তে এই ফেৰোজ কোম্পানীয়ে দহ বছৰৰ ভিতৰত কেই হাজাৰ টকা মূলধনৰ পৰা কেই কোটি টকালৈ সম্পত্তি বৃদ্ধি কৰিলে আৰু এই চমকপ্ৰদ ঔদ্যোগিক বিকাশৰ ফলত অসমৰ ৰাইজৰ কিমান লাভ-লোকচান হ’ল— সেই হিচাব-নিকাচ কৰাৰ সময় আজি আহিছে। কাৰণ এই ভদ্ৰলোকজনে অধস্তন কেইবা পুৰুষৰ ধন-সম্পদ ঘটি লৈ মাত্ৰ কিছুদিনৰ আগতে অসমৰ পৰা [illegible] হৈছে বুলি খবৰ পোৱা গৈছে। যোৱা ১৯ মাৰ্চৰ সাপ্তাহিক নীলাচলত প্ৰথম পৃষ্ঠাতে তলত [illegible] ধৰণে এটা খবৰ প্ৰকাশ পাইছে।

বামুণী মৈদামৰ উদ্যোগ পামৰ মেচাৰ্চ ফেৰোজ এণ্ড কোম্পানীৰ পৰা যোৱা বছৰৰ চেপ্টেম্বৰ মাহত ‘এচকন’ নামৰ উদ্যোগটো ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমে নিজৰ হাতলৈ নিবলৈ ঠিক কৰে। কোম্পানীৰ অডিটৰে ৩০-৬-৬৮ তাৰিখলৈকে কোম্পানীটোৰ লাভ-ক্ষতিৰ হিচাব দাঙি ধৰে আৰু কৰ্পোৰেচনে এই হিচাব গ্ৰহণ কৰে। ৭০ দিনৰ পিচত অৰ্থাৎ ১০-৯-৬৮ তাৰিখত কোম্পানীটো কৰ্পোৰেছনে নিজৰ হাতলৈ আনে যদিও ৭৯ দিনৰ আগৰ হিচাবৰ ভিত্তিতে মেচাৰ্চ ফেৰোজ এণ্ড কোম্পানীক ইয়াৰ মূল্য দিয়া হয়। তদুপৰি কোম্পানীটোৱে কৰ্পোৰেচনৰ পৰা যন্ত্ৰ-পাতি কিনাৰ বাবে ধাৰে লোৱা টকাৰ বাবদ পাবলগীয়া টকাও এই হিচাবত ধৰা হোৱা নাই। এই দুটা দিশ হিচাবৰ বাহিৰত ৰৈ যোৱাৰ কাৰণে কৰ্পোৰেচনে আনুমানিক ২ লাখ ৬৫ হাজাৰ টকা মেচাৰ্চ ফেৰোজ এণ্ড কোম্পানীক অতিৰিক্ত দিব লগা হয়। অৰ্থাৎ আন কথাত ব্যক্তিগত কোম্পানীটোৱে নাপাবলগীয়া ২ লাখ ৬৫ হাজাৰ টকা কৰ্পোৰেচনৰ পৰা পায়।”

এতিয়া প্ৰশ্ন হৈছে— আৰম্ভণিৰে পৰা এই কোম্পানীটোৱে অসম চৰকাৰৰ উদ্যোগ বিভাগক কি মন্ত্ৰেৰে মুহিলে যে প্ৰতি পদে পদে অবিশ্বাস্য ক্ষিপ্ৰতাৰে এই কোম্পানীক ধাৰ, লাইচেন্স, মাটি আৰু চৰকাৰী পৃষ্ঠপোষকতাৰে এনেভাৱে সহায় কৰা হ’ল? তাৰ ফলত অসমৰ ৰাইজৰ পৰা কি লাভ হ’ল। সেই কোম্পানীক অসমৰ পৰা ৰাজকীয় কায়দাৰে বিদায় দিবৰ সময়তো ৰাইজৰ বুকুৰ কেঁচা তেজ আঢ়ৈ লাখকৈ টকা কিয় উপঢৌকন দিব লগা হ’ল? এই সকলো কামৰ অন্তৰালত থকা অদৃশ্য হাতখন কাৰ?

বহুত কথা লিখি লিখি মই যথেষ্ট ক্লান্তি অনুভব কৰিছোঁ। লগতে এই কথাও অনুভৱ কৰিছোঁ যে উদ্যোগ বিভাগৰ কীৰ্তি কাহিনী লিখি থাকিলে এখন মহাভাৰত হ'ব। গতিকে আজিলৈ ইমানতে এৰিব খুজিছোঁ। কেৱল সামৰণিত ফেৰোজ কোম্পানীৰ সমান্তৰালভাৱে মই এজন অসমীয়া ব্যৱসায়ীৰ কথা উনুকিয়াব খুজিছোঁ। ইণ্ডিয়া গেচ কোম্পানী নাম দি প্ৰতিষ্ঠা কৰা এই অসমীয়া প্ৰতিষ্ঠানটোৱে ১৯৬৪ চনৰ ২৮ অক্টোবৰতে ৰেজিষ্ট্ৰেচনৰ কাৰণে আবেদন কৰিছিল, ১১ নবেম্বৰতে ইণ্ডাষ্ট্ৰিয়েল ইষ্টেটত শ্বেদৰ কাৰণে আবেদন কৰিছিল— কিন্তু সুদীৰ্ঘ ৪ বছৰ ধৰি এই কোম্পানীটোৱে উদ্যোগ বিভাগৰ পৰা সহায়-সহযোগিতাৰ পৰিবৰ্তে পদে পদে পাই আহিছে কেৱল বাধা, কেৱল অসহযোগ, কেৱল বিৰোধিতা। এই প্ৰতিষ্ঠানৰ অসমীয়া হোৱাটোৱেই হ'ল একমাত্ৰ অপৰাধ। ভৱিষ্যতে আন এখন চিঠিত মই এই ইতিহাস বিবৃত কৰিম, কাৰণ উদ্যোগ বিভাগে কি কি পদ্ধতিৰে থলুৱা লোকক সহায় কৰিছে সেই কথা দেশৰ মানুহে জনা উচিত। আপুনি নিজে অৱশ্যে এই কাহিনী খুব ভালকৈ জানে। কাৰণ অৱশেষত আপোনাৰ ব্যক্তিগত জৰুৰী হস্তক্ষেপতহে এই প্ৰতিষ্ঠানটোৱে শ্বেদ পাবলৈ সমৰ্থ হ'ল। তাৰ বাবে আমাৰ সকলোৰে অকুণ্ঠ ধন্যবাদ আপোনাৰ প্ৰাপ্য। কিন্তু কোনো মন্ত্ৰীয়ে, আনকি আপোনাৰ দৰে জন-হিতৈষী আৰু আদৰ্শবাদী মন্ত্ৰীয়েই বাৰে বাৰে ব্যক্তিগত হস্তক্ষেপ কৰি অসমক ঔদ্যোগীকৰণৰ বাটত আগুৱাই নিব নোৱাৰে। তাকে কৰিবলৈ হ'লে এই জনস্বাৰ্থ বিৰোধী উদ্যোগ বিভাগটোৰ আমূল সংস্কাৰৰ প্ৰয়োজন হৈ আহিছে। সিদিনা দৈনিক অসম কাকতে সম্পাদকীয়ত মন্তব্য কৰিছে যে এই বিভাগৰ এটা বিষয়া গোষ্ঠীয়ে আনকি মন্ত্ৰীৰ নিৰ্দেশ অমান্য কৰিবলৈকো স্পৰ্দ্ধা দেখুৱাইছে। ই অকণো ভাল লক্ষণ নহয়। মই আপোনাক বিনীতভাৱে জনাব খোজোঁ যে উদ্যোগ বিভাগত বহু বছৰ ধৰি বহু আবৰ্জনা পুঞ্জিভূত হৈ আছে; সেইবোৰ চাফ নকৰালৈকে ই অসমৰ ৰাইজৰ একো উপকাৰ কৰিব নোৱাৰে। আপুনি এই বিভাগটো চাফা কৰি তাক অসমৰ ৰাইজৰ সেৱাৰ কামত লগাওক, সেই কামত আপুনি সদৌ ৰাইজৰ অকুণ্ঠ সহযোগিতা পাব। তাকে নকৰি মাত্ৰ কেইজনমান স্বাৰ্থপৰ বিষয়াক প্ৰশ্ৰয় দিলে আপুনি তেওঁলোকৰ আনুগত্য হয়তো পাব, কিন্তু হেৰুৱাব লাগিব অসমৰ ৰাইজৰ শুভ-ইচ্ছা আৰু সমৰ্থন।

অৱশেষত মোৰ সশ্ৰদ্ধ নমস্কাৰ গ্ৰহণ কৰিব। ইতি—

হোমেন বৰগোহাঞি

১৫ ডিচেম্বৰ, ১৯৭১ ইং তাৰিখে সাপ্তাহিক নীলাচলত প্ৰকাশিত তদানিন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ অনাতাঁৰ ভাষণৰ পাঠ ঃ

প্ৰধানমন্ত্ৰীৰ অনাতাঁৰ ভাষণ

যোৱা ৩ ডিচেম্বৰৰ মাজনিশাৰ অলপ পিচত
প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জাতিৰ প্ৰতি দিয়া অনাতাঁৰ ভাষণৰ পাঠ

আমাৰ দেশখনৰ আৰু জনসাধাৰণৰ ভীষণ বিপদৰ সময়ত মই আপোনালোকৰ উদ্দেশ্যে ভাষণ দিবলৈ লৈছোঁ। কেইঘণ্টামানৰ আগতে অৰ্থাৎ ৩ ডিচেম্বৰৰ আবেলি ৫-৩০ বজাৰ পিছতেই, পাকিস্তানে আমাৰ বিৰুদ্ধে পূৰ্ণ-পৰ্যায়ৰ যুদ্ধ আৰম্ভ কৰিছে।

পাকিস্তানী বিমান বাহিনীয়ে আকস্মিকভাবে আমাৰ অমৃতসৰ, পাঠানকোট, শ্ৰীনগৰ, অবন্তীপুৰ, উত্তৰলাই, যোধপুৰ, আম্বালা আৰু আগ্ৰা বিমান বন্দৰ আক্ৰমণ কৰিছে। সিহঁতে চুলেমাংকি, খেমকৰণ, পুঞ্চ আৰু অন্যান্য খণ্ডত আমাৰ প্ৰতিৰক্ষামূলক অৱস্থানৰ ওপৰত গুলিচালনা কৰিছে।

গণতন্ত্ৰৰ হকে ভোটদান কৰি একমাত্ৰ অপৰাধ কৰা এটা সমগ্ৰ জাতিক নিঃশেষ কৰিবৰ কাৰণে চলোৱা কাৰ্য-কলাপ বন্ধ কৰিবৰ বাবে আৰু ইয়াৰ এক ৰাজনৈতিক সমাধান উলিওৱাৰ কাৰণত সাহায্যৰ বাবে বিশ্ববাসীৰ ওচৰত আমি চলাই থকা প্ৰচেষ্টা বৃহত্তম হেঁচাৰ সন্মুখীন হৈছে আৰু যোৱা মাৰ্চ মাহৰে পৰা আমি আটাইতকৈ গধুৰ বোজা বহন কৰি আহিব লগা হৈছে। কিন্তু বিশ্বই মৌলিক কাৰণ সমূহ উলাই কৰি মাত্ৰ কেইটামান পৰিণতিৰ প্ৰতিহে উদ্বেগ প্ৰকাশ কৰিছে।

এনে অৱস্থাত পৰিস্থিতিয়ে বেয়াৰ ফালে ঢাল নাখাই নোৱাৰে। আমাৰ জীৱনৰ বাবে মৌলিক প্ৰমূল্যসমূহ ৰক্ষাৰ বাবে এডল সাহসী মুক্তি-সংগ্ৰামীয়ে সকলো উছৰ্গা কৰিছে।

বাংলাদেশৰ যুদ্ধ আজি ভাৰতৰ বিৰুদ্ধে পতা যুদ্ধত পৰিণত হৈছে। ই মোৰ ওপৰত, মোৰ চৰকাৰৰ ওপৰত আৰু ভাৰতৰ জনসাধাৰণৰ ওপৰত মহান দায়িত্ব আৰোপ কৰিছে। আক্ৰমণৰ বিৰুদ্ধে প্ৰস্তুত হোৱাৰ বাহিৰে আমাৰ হাতত আৰু কোনো উপায় নাই। দেশৰ প্ৰতিৰক্ষাৰ বাবে আমাৰ জোৱানসকলক আৰু সৈন্যবাহিনীক সাজু ৰখা হৈছে। সমগ্ৰ দেশতে জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছে। প্ৰতিটো প্ৰয়োজনীয় ব্যৱস্থাকে হাতত লোৱা হৈছে।

এতিয়া যেই সেই পৰিস্থিতিৰ বাবে আমি সাজু।

এই বিষয়ে মোৰ অকণো সন্দেহ নাই, আমাৰ জনসাধাৰণৰ ঐক্যবদ্ধ ইচ্ছা এই যে পাকিস্তানৰ প্ৰচালিত আৰু জঘন্য আক্ৰমণক চূড়ান্তভাৱে আৰু শেষবাৰৰ কাৰণে ওফৰাই পেলাব লাগিব। এই কাৰ্যত চৰকাৰৰ প্ৰতি দ্বিধাহীন আৰু সম্পূৰ্ণ সমৰ্থন সকলো ৰাজনৈতিক দলে আৰু প্ৰতিজন ভাৰতীয় নাগৰিকে আগবঢ়াইছে।

আমি দীৰ্ঘ দিনৰ বাবে ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিবলৈ সাজু থাকিব লাগিব। আমি শান্তিপ্ৰিয় জাতি, কিন্তু আমি জানো যে আমাৰ স্বাধীনতা, আমাৰ গণতন্ত্ৰ আৰু জীৱন-পদ্ধতিৰ সুৰক্ষা অবিহনে শান্তি বৰ্তি থকা সম্ভৱপৰ নহয়।

আজি আমাৰ সংগ্ৰাম কেৱল আঞ্চলিক অখণ্ডতা ৰক্ষাৰ বাবে নহয়, আমাৰ সংগ্ৰাম মৌলিক আদৰ্শ ৰক্ষাৰ বাবেও। এই মৌলিক আদৰ্শই আমাৰ দেশক শক্তিদান কৰিছে আৰু ইয়াৰ বলতেই আমি এক সুন্দৰ ভৱিষ্যতৰ বাবেও আগবাঢ়িব পাৰিম।

বহিৰাক্ৰমণত বাধা দিবই লাগিব আৰু ভাৰতৰ জনসাধাৰণে শক্তি আৰু দৃঢ়তাৰে সৈতে, নিয়ম-শৃংখলা আৰু সৰ্বাধিক ঐক্যৰে সৈতে বহিৰাক্ৰমণত বাধা দান কৰিব লাগিব।

জয় হিন্দ।

হোমেন বৰগোহাঞিয়ে ২ ফেব্ৰুৱাৰী, ১৯৭২ ইং তাৰিখে সাপ্তাহিক নীলাচলত লিখা নিবন্ধঃ

শ্ৰীশৰৎ চন্দ্ৰ সিংহ

As in a theatre, the eyes of men
After a well-graced actor leaves the stage
Are idly bent on him that enters next.-

– Shakespeare

১৯৬৯ চনত পশ্চিম বংগত কেইবাটাও বিৰোধী দল একগোট হৈ এটা যুক্ত-ফ্ৰণ্ট গঠন কৰে আৰু এই যুক্ত-ফ্ৰণ্টে চৰকাৰ গঠন কৰিবলৈকো সক্ষম হয়। সেই সময়ত ভাৰতৰ বিভিন্ন ৰাজ্যত কংগ্ৰেছৰ পতনমুখী অৱস্থা। পশ্চিম বঙ্গত যুক্ত-ফ্ৰণ্টৰ সাফল্যই অসমৰ বিৰোধী দলসমূহৰ মনতো নতুন আশাৰ সঞ্চাৰ কৰে। তেনে সময়তে অসম কংগ্ৰেছত এটা নতুন ধৰণৰ ঘটনা ঘটে। ১৯৬৯ চনৰ আগভাগত ৰেলৱে ডিভিজন আঁচনিৰ প্ৰতিবাদত অসমত এটা প্ৰবল গণ-আন্দোলন গঢ়ি উঠে। এই আন্দোলন পৰিচালনা কৰিবলৈ যি কমিটী গঠিত হয় তাৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে শ্ৰীশৰৎ চন্দ্ৰ সিংহই। সেই সময়ত শ্ৰীসিংহ আছিল অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি। কেন্দ্ৰৰ কংগ্ৰেছ চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে অসমত যি গণ-আন্দোলনৰ সূত্ৰপাত হয় তাৰ নেতৃত্বৰ ভাৰ শ্ৰীশৰৎ সিংহই গ্ৰহণ কৰা দেখি বহুতৰ মনত এনে এটা ধাৰণাৰ সৃষ্টি হয় যে শ্ৰীসিংহই বোধহয় কংগ্ৰেছৰ পৰা ওলাই আহিবলৈকে মানসিকভাৱে প্ৰস্তুত হৈছে। ইতিমধ্যে অসমতো পশ্চিমবংগৰ আৰ্হিত এটা যুক্ত-ফ্ৰণ্ট গঠন কৰিবলৈ যো-জা চলিছে আৰু এই প্ৰস্তাৱিত যুক্ত-ফ্ৰণ্টে চৰকাৰ গঠন কৰাৰো সপোন দেখিছে। যদি শ্ৰীশৰৎ সিংহৰ নেতৃত্বত কিছু সংখ্যক সদস্যই কংগ্ৰেছৰ পৰা ওলাই আহি এই প্ৰস্তাৱিত যুক্ত-ফ্ৰণ্টত যোগ দিয়ে আৰু শ্ৰীসিংহই শ্ৰীঅজয় কুমাৰ মুখাৰ্জীৰ ভূমিকা ল'বলৈ সন্মত হয় তেতিয়া বিৰোধী দলসমূহৰ সপোন বাস্তৱত পৰিণত হ'ব পাৰে। এনে সময়তে অসমৰ এজন শীৰ্ষস্থানীয় কমিউনিষ্ট নেতাই মোৰ ওচৰলৈ আহি প্ৰস্তাৱ কৰিলে যে মই এই সম্পৰ্কে শৰৎ সিংহৰ লগত কথা-বাৰ্তা পাতিব লাগে। কমিউনিষ্ট নেতাজনে মোক জানিবলৈ দিলে যে যদি শৰৎ সিংহই কংগ্ৰেছৰ পৰা ওলাই আহি 'বাংলা কংগ্ৰেছ'ৰ দৰে এটা দল গঠন কৰে, তেন্তে কমপক্ষেও সোতৰজন কংগ্ৰেছী এম. এল. এ.ই দল ত্যাগ কৰি এই নতুন দলত যোগ দিব আৰু তেতিয়া অসমত কংগ্ৰেছ চৰকাৰৰ ঠাইত এটা যুক্ত-ফ্ৰণ্ট চৰকাৰ গঠন কৰা সম্পূৰ্ণ সম্ভৱ হৈ উঠিব। এই নতুন চৰকাৰৰ নেতা হিচাবে শৰৎ সিংহক গ্ৰহণ কৰিবলৈকো অন্তত কেইটামান বিৰোধী দলৰ কোনো আপত্তি নাই।

কমিউনিষ্ট নেতাজনৰ এই প্ৰস্তাৱটো লৈ মই শৰৎ সিংহক দেখা কৰিলোঁ। তেওঁৰ লগত মোৰ সেয়েই প্ৰথম সাক্ষাৎ। প্ৰায় তিনি ঘণ্টা সময় শৰৎ সিংহৰ লগত মোৰ এই বিষয়ে আলোচনা চলিল, কিন্তু আলোচনাৰ আৰম্ভণিতে শৰৎ সিংহই মোৰ প্ৰস্তাৱটো স্পষ্টভাৱে প্ৰত্যাখ্যান কৰিলে। তেওঁ মোক স্পষ্টভাৱে জনাই দিলে যে কংগ্ৰেছৰ বহু কাম-কাজৰ বিষয়েই তেওঁ যথেষ্ট অসন্তুষ্ট সঁচা, কিন্তু সেই বুলি কংগ্ৰেছ ত্যাগ কৰিবলৈ বা কংগ্ৰেছ বিৰোধী যুক্ত-ফ্ৰণ্ট চৰকাৰৰ মুখ্যমন্ত্ৰীৰ বাব ল'বলৈ তেওঁৰ বিন্দুমাত্ৰও ইচ্ছা নাই। কংগ্ৰেছৰ ভিতৰত থাকিয়েই তেওঁ দলৰ প্ৰতিক্ৰিয়াশীল আৰু জনস্বাৰ্থ-বিৰোধী লোকসকলক বহিষ্কাৰ কৰিবলৈ চেষ্টা কৰিব। মোৰ লগত হোৱা এই প্ৰথম আলোচনাতেই সিংহই অতি দৃঢ়ভাৱে এই মনোভাব

ব্যক্ত কৰিছিল যে কংগ্ৰেছৰ প্ৰকৃত আদৰ্শত বিশ্বাস নথকা স্বাৰ্থপৰ আৰু সুবিধাবাদী লোকসকলক দলৰ পৰা বহিষ্কাৰ কৰাৰ প্ৰয়োজন হৈ পৰিছে। আন কথাত ক'বলৈ গ'লে তেওঁ আদৰ্শৰ ভেটিত কংগ্ৰেছৰ এই বিভাজন কামনা কৰিছিল। সেই বছৰৰে শেষ ভাগত কংগ্ৰেছৰ ঐতিহাসিক বিভাজন সংঘটিত হ'ল। এই ফালৰ পৰা চাবলৈ গ'লে শৰৎ সিংহৰ চিন্তা 'প্ৰেক্টিক' আছিল বুলিয়েই ক'ব লাগিব। মই ঘনিষ্ঠভাৱে জনা অসমৰ আন কোনো কংগ্ৰেছ নেতাই ইমান আগতীয়াকৈ কংগ্ৰেছৰ বিভাজনৰ কথা চিন্তা কৰা নাছিল।

১৯৬৯ চনতেই 'সাপ্তাহিক নীলাচল'ৰ ৰাজনৈতিক সমীক্ষকে এই কাকতত শৰৎ সিংহৰ বিষয়ে এটা প্ৰবন্ধ লিখিছিল। প্ৰবন্ধটোৰ নাম আছিল— 'নতুন সম্ভাবনাৰ নায়ক শৰৎ সিংহ'। সেই সময়ত শৰৎ সিংহ সম্পৰ্কে আমাৰ কাকতৰ মূল্যায়নৰ ওপৰত কোনো মানুহেই বিশেষ গুৰুত্ব দিয়া নাছিল। আজি অতি নাটকীয়ভাৱে শৰৎ সিংহ অসমৰ নতুন মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হৈছে। আজিৰ পৰা তিনি বছৰ আগতেই এই কাকতে শৰৎ সিংহৰ মাজত যি সম্ভাৱনা দেখিবলৈ পাইছিল, সি আজি বাস্তৱত পৰিণত হোৱা দেখি এই কাকতে নিশ্চয় কিছু আত্ম-প্ৰসাদ লাভ কৰিব পাৰে।

Political dark horse বুলি ক'লে যিটো বস্তু বুজায়, অসমৰ ৰাজনীতিত শৰৎ সিংহ সেইটো বস্তু নিশ্চয় নহয়। কেইবা বছৰৰ আগতেই তেওঁ অসম কংগ্ৰেছৰ সভাপতিৰ পদ অলংকৃত কৰিছিল; তাৰ পিছতো তেওঁ প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি আৰু সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ আছিছে। ইচ্ছা কৰা হ'লে তেওঁ ইমান দিনে মন্ত্ৰীও হৈ থাকিব পাৰিলেহেঁতেন। এইখিনিতে স্মৰ্তব্য যে ১৯৬৭ চনত তেওঁ বিধান সভাৰ সদস্য পদৰ কাৰণে তেওঁক বাছি দিয়া মনোনয়ন প্ৰত্যাখ্যান কৰিছিল। ১৯৭১ চনৰ লোকসভাৰ মধ্যবৰ্তী নিৰ্বাচনতো দলে মনোনয়ন দিয়া সত্ত্বেও তেওঁ প্ৰতিদ্বন্দ্বিতা কৰিবলৈ অস্বীকাৰ কৰিছিল। সন্দেহ নাই যে অসমৰ ৰাজনীতিত শৰৎ সিংহ এজন বিশিষ্ট ব্যক্তিত্ব-সম্পন্ন প্ৰভাৱশালী ব্যক্তি। কিন্তু তথাপিতো এনে আচম্বিতে আৰু নাটকীয়ভাৱে তেওঁ অসমৰ মুখ্যমন্ত্ৰী হ'ব বুলি কম মানুহেহে কল্পনা কৰিব পাৰিছিল।

কংগ্ৰেছৰ বিভাজনৰ এমাহ মানৰ পিচতেই মই বিহাৰৰ বৰ্তমান ৰাজ্যপাল দেৱকান্ত বৰুৱাৰ লগত তেওঁৰ এজন আত্মীয়ৰ ঘৰত বহি অসমৰ ৰাজনীতিৰ বিষয়ে কিবা কিবি কথা আলোচনা কৰি আছিলোঁ। এনেতে হঠাৎ শৰৎ সিংহ আহি ওলালহি। দেৱকান্ত বৰুৱাই তেতিয়া শৰৎ সিংহৰ সমুখতেই তেওঁৰ বিষয়ে মোক নানা কথা ক'বলৈ ধৰিলে। শৰৎ সিংহই দিল্লীলৈ গ'লে দেৱকান্ত বৰুৱাই তেওঁৰ অশোকা হোটেলৰ নিজৰ চুটত সিংহক আলহী ৰাখিব খোজে, কিন্তু সিংহই যিহেতু আড়ম্বৰপূৰ্ণ জীৱন-যাত্ৰা ভাল নাপায়, সেই কাৰণে তেওঁ সদায় আসাম হাউচতে থাকে। অশোকা হোটেলৰ ডিনাৰৰ নিমন্ত্ৰণ উপেক্ষা কৰি সিংহই অতি সস্তীয়া ধৰ্মশালাত দুটকা দামৰ নিৰামিষ ভোজনেৰে নিজৰ ক্ষুন্নিবৃত্তি কৰে। ইত্যাদি। এইবোৰ কথা কৈ-মেলি দেৱকান্ত বৰুৱাই মোৰ চকুলৈ চাই ক'লে— "অসমত আটাইতকৈ দৃষ্টি ৰাখিবলগীয়া মানুহজন কোন জানেনে? সিদিনা দিল্লীত মিচেচ গান্ধীয়ে নিজেই মোৰ আগত কৈছে যে অসমত এতিয়া Key personality চলিহা নহয়, ভাগৱতীও নহয়, যাই মানুহজন হ'ল শৰৎ সিংহ।" এইবুলি কৈ দেৱকান্ত বৰুৱাই শৰৎ সিংহৰ গাত আঙুলি এটা ৰাখি মোৰ ফালে চাই ক'লে— "শৰৎ সিংহই অসমক এদিন নেতৃত্ব দিব।"

সঁচা কথা ক'বলৈ গ'লে মই সিদিনা দেৱকান্ত বৰুৱাৰ কথা সমূলি বিশ্বাস কৰা নাছিলোঁ। চলিহা, ভাগৱতী, চৌধুৰী, বৰুৱা আদিৰ নিচিনা পৰিপক্ব অভিজ্ঞতাসম্পন্ন ৰাজনীতিজ্ঞ থাকোতে শৰৎ সিংহৰ নিচিনা আত্ম-বিলোপকাৰী আৰু নম্ৰ-প্ৰকৃতিৰ মানুহ এজনক ইন্দিৰা গান্ধীয়ে অসমৰ মুখ্যমন্ত্ৰী পাতিব—

এই কথা কল্পনা কৰিবলৈ সেইদিনা খুব টান লাগিছিল। কিন্তু এতিয়া যোৱা দুবছৰৰ ঘটনাৱলীলৈ ঘূৰি চাই সম্পূৰ্ণৰূপে পতিয়ন গৈছোঁ যে যোৱা দুবছৰ ধৰিয়েই ইন্দিৰা গান্ধীয়ে শৰৎ সিংহৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছিল, আৰু যিকোনো কাৰণতেই নহওক— শৰৎ সিংহৰ ওপৰত তেওঁৰ গভীৰ আস্থা জন্মিছিল। এইবুলি ক'লে শৰৎ সিংহৰ প্ৰতি নিশ্চয় অবিচাৰ কৰা হ'ব যে ইন্দিৰা গান্ধীৰ নেতৃত্বৰ প্ৰতি শৰৎ সিংহৰ অবিচলিত আনুগত্যই তেওঁৰ প্ৰতি ইন্দিৰা গান্ধী প্ৰসন্ন হোৱাৰ একমাত্ৰ কাৰণ। নিশ্চয় তেওঁৰ মাজত ইন্দিৰা গান্ধীয়ে অনেক যোগ্যতা আৰু গুণ আৱিষ্কাৰ কৰিছে। আজি শৰৎ সিংহৰ কৃতকাৰ্যতাৰ ওপৰত কেৱল শৰৎ সিংহৰে সুনাম নিৰ্ভৰ কৰা নাই; সুনাম নিৰ্ভৰ কৰিছে ইন্দিৰা গান্ধীৰো। কাৰণ শৰৎ সিংহই বৰ্তমান গণতান্ত্ৰিক পদ্ধতিৰে অসমৰ মুখ্যমন্ত্ৰী নিৰ্বাচিত হোৱা নাই, ইন্দিৰা গান্ধীয়ে নিজে তেওঁক অসমৰ মুখ্যমন্ত্ৰী ৰূপে নিৰ্বাচন কৰিছে। এই কথা ঠিক যে বৰ্তমান মুহূৰ্তত ইন্দিৰা গান্ধীৰ সম্পূৰ্ণ আস্থা আৰু সমৰ্থন নোহোৱাকৈ কোনো কংগ্ৰেছী নেতাৰ কোনো ৰাজ্যতে মুখ্যমন্ত্ৰী হোৱাটো সম্ভৱ নহয়। শৰৎ সিংহই নিজৰ কি কি যোগ্যতাৰ দ্বাৰা ইন্দিৰা গান্ধীৰ সম্পূৰ্ণ আস্থা অৰ্জন কৰিবলৈ সক্ষম হৈছে, সেইটো চাবলৈ গ'লে অসমৰ জনসাধাৰণে উদগ্ৰীৱ হৈ অপেক্ষা কৰি আছে।

১৯৬৯ চনৰ ২১ মে' তাৰিখে শৰৎ সিংহই সাপ্তাহিক নীলাচলৰ সম্পাদকক দিয়া এটা সাক্ষাৎকাৰত কৈছিল— "জনসাধাৰণৰ আৰ্থিক উন্নয়ন আৰু ক্ৰমবৰ্দ্ধমান কৰ্মপ্ৰাৰ্থীসকলৰ কৰ্মসংস্থানৰ সমস্যাই অসমৰ বৰ্তমান ঘাই সমস্যা। সমাধান বিচাৰিছোঁ— কিন্তু আমোলাতন্ত্ৰ আৰু দুৰ্নীতি-চক্ৰৰ তলত নিষ্পেষিত হৈ অন্ধকাৰ দেখিছোঁ; পথ বিচাৰি পোৱা নাই" এই কথাষাৰ ক'বৰ সময়ত শৰৎ সিংহ আছিল কংগ্ৰেছৰ এজন কৰ্মী মাত্ৰ। কিন্তু আজি তেওঁ অসমৰ কংগ্ৰেছী চৰকাৰৰ সৰ্বোচ্চ অধিনায়ক। আমোলাতন্ত্ৰ আৰু দুৰ্নীতিৰ চক্ৰৰ পৰা জনসাধাৰণক মুক্ত কৰিবলৈ তেওঁ এতিয়া সম্পূৰ্ণ সুযোগ পাইছে। এই সুযোগ তেওঁ কি ভাৱে ব্যৱহাৰ কৰে তাৰ প্ৰতি অসমৰ জনসাধাৰণে সতৰ্ক দৃষ্টি ৰাখিব। এই কথা ঠিক যে মহেন্দ্ৰমোহন চৌধুৰীৰ যিখিনি ব্যৰ্থতা আৰু ত্ৰুটি-বিচ্যুতি ৰাইজে ক্ষমা কৰিছিল— শৰৎ সিংহৰ ক্ষেত্ৰত সেইখিনি কৰিবলৈ ৰাইজ সন্মত নহ'ব, কাৰণ শৰৎ সিংহই বহুতো নতুন প্ৰতিশ্ৰুতি লৈ ৰাইজৰ সন্মুখত থিয় দিছেহি। তেওঁ বহন কৰি আনিছে বিদ্ৰোহৰ বাণী, পৰিবৰ্তনৰ প্ৰতিশ্ৰুতি, দুৰ্নীতি আৰু আমোলাতন্ত্ৰৰ বিৰুদ্ধে যুদ্ধ কৰাৰ সংকল্প। নতুন কিবা এটা কৰাৰ প্ৰতিশ্ৰুতিৰে তেওঁ ইন্দিৰাৰ অকুণ্ঠ সমৰ্থন লাভ কৰিছে; সেই প্ৰতিশ্ৰুতি বাস্তৱত ৰূপায়িত কৰিব পাৰিলেহে তেওঁ অসমৰ জনতাৰো সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হ'ব।

অসমৰ তদানিন্তন গৃহ, স্বাস্থ্য আৰু শিক্ষা দপ্তৰৰ ৰাজ্যিক
মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই
১৫ আগষ্ট, ১৯৭২ ইং তাৰিখে সাপ্তাহিক নীলাচলৰ সম্পাদকলৈ লিখা চিঠি ঃ

সাপ্তাহিক নীলাচলৰ সম্পাদকলৈ এখন মুকলি চিঠি

শ্ৰদ্ধেয় হোমেন ককাইদেউ,

যোৱা ১ আগষ্ট তাৰিখে আপুনি মোক ১৫ আগষ্টৰ নীলাচলত প্ৰকাশ কৰিব পৰাকৈ এটা প্ৰবন্ধ লিখিবলৈ কৈছিল। ময়ো এটা প্ৰবন্ধ লিখি সম্পূৰ্ণ কৰাৰ পিছতেই এই প্ৰবন্ধটোৰ পৰিবৰ্তে এই মুকলি চিঠিখন লিখাৰ সিদ্ধান্ত ল'লো।

শিৱসাগৰ পৌৰসভাৰ নিৰ্বাচন সম্পৰ্কে আপুনি লিখা সম্পাদকীয়ই অসমৰ ৰাজনীতিত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিলে। আনহে নেলাগে এখন কলিকতীয়া বাতৰি কাকত আৰু দুখন স্থানীয় বাতৰি কাকতে সেই সুযোগতে মোৰ ওপৰত ব্যক্তিগত আক্ৰমণ আৰু এই নিৰ্বাচনৰ পৰাজয় মুখ্যমন্ত্ৰী সিংহৰ কাৰণে এটা বিপদৰ সংকেট বুলি ফটোৱা জাৰি কৰিছে।

এই পৌৰ সভাৰ কংগ্ৰেছ প্ৰাৰ্থীৰ নিৰ্বাচন সম্পৰ্কে আপুনি লিখিছে যে দুজনমান শিৱসাগৰৰ যুৱক কংগ্ৰেছৰ নেতাই অসম প্ৰদেশ কংগ্ৰেছ সভাপতিৰ মতৰ বিৰুদ্ধে বলেৰে কেইজনমান লোকক কংগ্ৰেছ প্ৰাৰ্থী মনোনীত কৰিলে। যদি এই বাতৰিটো সঁচা হয়— মই ক'বলৈ কুণ্ঠাবোধ নকৰিম যে আমাৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতিজন ইমানেই ব্যক্তিত্বহীন নেতা নে যে তেওঁৰ মতামত নথকাকৈ তেওঁৰ স্বাক্ষৰতে প্ৰাৰ্থিত্ব বাছনিৰ কাগজখন চহী কৰালে?

প্ৰকৃততে ক'বলৈ গ'লে এই নিৰ্বাচনত কংগ্ৰেছ দলৰ বিপৰ্যয়ৰ সম্পৰ্কে যথেষ্ট যুক্তিসংগত কাৰণ আছে। জিলা কংগ্ৰেছ প্ৰাৰ্থিত্ব নিদিয়া কোনো কংগ্ৰেছ প্ৰাৰ্থীয়ে প্ৰাদেশিক কংগ্ৰেছৰ ওচৰত আপিল কৰাৰ অধিকাৰ কংগ্ৰেছ সংবিধানে দিছে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে কোনোৱা আপিল নকৰা বা প্ৰাৰ্থিত্ব নিবিচৰা লোককো প্ৰদেশ কংগ্ৰেছে প্ৰাৰ্থিত্ব দিব। প্ৰদেশ কংগ্ৰেছৰ এই সিদ্ধান্তই স্থানীয়ভাৱে শিৱসাগৰত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে, যিটোৰ বাবে বহুত লোকে কংগ্ৰেছক ভোট নিদিলে। শিৱসাগৰ পৌৰ সভাৰ এলেকাত বসবাস কৰা বেছিভাগ লোকেই কংগ্ৰেছ সমৰ্থক হ'লেও মনোমত প্ৰাৰ্থী নাপালে এইসকল ভোটাৰে বিৰোধী দলক ভোট দিয়াৰ বহুতো দৃষ্টান্ত আছে। ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত সেই সময়ৰ গড়কাপ্তানি বিভাগৰ পূৰ্ণ-পৰ্যায়ৰ মন্ত্ৰী স্বৰ্গীয় গিৰীন্দ্ৰনাথ গগৈয়ে শিৱসাগৰ পৌৰ সভাৰ এলেকাত ভোট পাইছিল ১৮৮৬ টা আৰু কমিউনিষ্ট প্ৰাৰ্থী প্ৰমোদ গগৈয়ে পাইছিল ২১৩৭ টা। অথচ এই নিৰ্বাচনৰ কেইমাহমানৰ পিছতেই অনুষ্ঠিত হোৱা পৌৰ সভাৰ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীয়ে ভোট পালে ২৮৫৭ টা আৰু নিৰ্দলীয়সকলে পালে ২৬৮২ টা, যাৰ বাবে কংগ্ৰেছ দলে পৌৰ সভাৰ দায়িত্ব ল'বলৈ পালে। ইয়াৰ কেইমাহমানৰ পিছতেই পৌৰ সভাৰ এজন কংগ্ৰেছী সদস্যৰ মৃত্যু হোৱাত খালী হোৱা আসনখন পূৰাবৰ বাবে ৪-১০-৬৮ ইং তাৰিখে অনুষ্ঠিত হোৱা শিৱসাগৰ পৌৰ সভাৰ উপ-নিৰ্বাচনত সেই সময়ৰ বিধান সভাৰ সদস্য বহু কোঁৱৰে ভোট পালে ১৪২ টা। তেওঁৰ প্ৰতিদ্বন্দ্বীয়ে পালে ৩০৯ টা। অথচ এই বাৰ্ডৰ

পৰা হোৱা নিৰ্বাচনত্ কংগ্ৰেছ প্ৰাৰ্থী মহেন্দ্ৰ নাথ বৰাই নিৰ্দলীয় প্ৰাৰ্থী জগন্নাথ বৰুৱাক (২৬৪-১৯৪) ৭০ টা ভোটত পৰাজিত কৰি জয়লাভ কৰিছিল। এই সংক্ৰান্তত এইটো কথাও মনত ৰাখিব লাগিব যে শ্ৰীৰত্ন কোঁৱৰে সেই সময়ৰ বিধান সভাৰ সদস্য আছিল আৰু তেওঁক জিকাবৰ কাৰণে স্থানীয় দুজন কংগ্ৰেছী এম. এল. এ. স্বৰ্গীয় দুৰ্গেশ্বৰ শইকীয়া আৰু শ্ৰীপুষ্পধৰ চলিহাই শ্ৰীকোঁৱৰৰ হৈ সক্ৰিয়ভাৱে প্ৰচাৰ কাৰ্যও চলাইছিল। আনহে নালাগে সেই সময়ৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলাপ্ৰসাদ চলিহাদেৱেও চৰকাৰী কাৰ্যসূচী লৈ স্বয়ং নিজে সেই সময়ত শিৱসাগৰ পাইছিলহি। এই কথাখিনি এই কাৰণেই আপোনালৈ লিখিলোঁ যে ১৯৬৮ চনত এজন এম. এল. এ.কো মুখ্যমন্ত্ৰীৰ উপস্থিতিত দুজন কংগ্ৰেছী এম. এল. এ.ই সক্ৰিয়ভাৱে প্ৰচাৰ কাৰ্য চলায়ো জিকাব নোৱাৰিলে। অথচ এনে এটা বিপৰ্যয়ে সেই সময়ৰ চলিহা মন্ত্ৰীসভাই কিবা কৰিব-নকৰিব সেই সম্পৰ্কে বাতৰি কাকতবোৰ নিমাত থাকিল। তাতোকৈ ডাঙৰ কথা, আপোনাৰ নিশ্চয় মনত আছে যে অসম কংগ্ৰেছ বিধায়িনী দলৰ মুঠ ৭২ জন সদস্যৰ ৩৩ জন সদস্যই মন্ত্ৰীসভাৰ সাল-সলনি হ'ব লাগে বুলি ১৯৬৮ চনত এখন কাগজত চহী কৰি চলিহাৰ ওচৰত আপত্তি পেচ কৰিছিল। আপুনি নিশ্চয় মোৰ লগত একমত হ'ব যে এই দুটা ঘটনাৰ তুলনাত শিৱসাগৰ পৌৰসভাৰ এইবাৰৰ নিৰ্বাচন আৰু আপোনাৰ ৯ আগষ্টৰ কাগজত ৰাজনৈতিক সমীক্ষাত শ্ৰীযদু কাকতিয়ে লিখা— "কোনোবা কংগ্ৰেছী এম. এল. এ.ৰ ফুচফুচনি অভিযান" বা পাইনউড হোটেলত 'মধুৰস' টানি কোনোব লোকে কোনোবা এজন সাংবাদিকক কোৱা কথাই সিংহ চৰকাৰৰ পতন কেতিয়াও আনিব নোৱাৰে।

পৌৰ সভাৰ নিৰ্বাচনত কোনো দলৰ নীতিৰ ওপৰত আস্থা থকা-নথকাৰ কথা প্ৰকাশ নাপায়। যদি পালেহেঁতেন তেন্তে ১৯৬৭ চনত তামিলনাদুত ডি.এম.কে. দলৰ বিৰাট জয়লাভৰ পিছতে মাদ্ৰাজ চিটি কৰ্পোৰেছনৰ নিৰ্বাচনত সেই দলে পৰাজয়বৰণ কৰি ১৯৭১ চনৰ সাধাৰণ নিৰ্বাচনত ক্ষমতালৈ নিশ্চয় আহিব নোৱাৰিলেহেঁতেন। সেইদৰে ১৯৭১ চনৰ মধ্যকালীন নিৰ্বাচনত ইন্দিৰা গান্ধীৰ কংগ্ৰেছৰ বিৰাট সাফল্যৰ পিছত দিল্লীৰ কৰ্পোৰেছনৰ নিৰ্বাচনত জনসংঘৰ হাতত চৰম বিপৰ্যয় আৰু পিছত পুনৰ ১৯৭২ চনত কংগ্ৰেছৰ বিৰাট জয়লাভে এই কথা নিশ্চয় নুসূচায়।

টংলাৰ আই.এন.টি.ইউ.চি.ৰ সম্পৰ্কে কোনো কোনো বাতৰি কাকতে মন্তব্য কৰি লিখিছে যে শ্ৰীবিশ্বদেৱ শৰ্মা মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থী আছিল। শ্ৰীযুত সিংহৰ লগত মোৰ সম্পৰ্কৰ কথা আপুনি জানে। মন্ত্ৰী হোৱাৰ বহু আগতেই অৰ্থাৎ ১৯৬৮ চনৰ পৰা মই সিংহৰ লগত আছোঁ আৰু তেতিয়াৰ পৰা ১৯৭১ চনত এধৰ কংগ্ৰেছ হোৱালৈকে সিংহৰ কেইজন সমৰ্থক আছিল সেইটো আপুনি জানে। শ্ৰীবিশ্বদেৱ শৰ্মাৰ প্ৰাৰ্থিত্বত শ্ৰীসিংহৰ কেতিয়াও সমৰ্থন নাছিল। এইটো তেখেতক কলুষিত কৰিবৰ কাৰণে এটা মিছা অপ-প্ৰচাৰ আৰু অভিসন্ধি। অৱশ্যে এই সম্বন্ধে এটা কথাই শুনিবলৈ পাইছোঁ যে শ্ৰীবিশ্বদেৱ শৰ্মাৰ উগ্ৰ সমৰ্থক এজন এম. পি. আৰু দুজনমান এম. এল. এ.ই নিজৰ শক্তিৰে শৰ্মাক জিকোৱাৰ আশা ক্ষীণ দেখি শ্ৰীশৰ্মা শ্ৰীসিংহৰ প্ৰাৰ্থী বুলি তাত প্ৰচাৰ কৰিছিল। শ্ৰীযুত সিংহ ডাঙৰীয়াৰ অজ্ঞাতত যদি কোনোবাই নিজৰ কু-অভিপ্ৰায় সিদ্ধি কৰিবলৈ চেষ্টা কৰে, তাৰ কাৰণে শ্ৰীসিংহক জগৰীয়া কৰিব পাৰিনে?

কোনখন বাতৰি কাকতে কি উদ্দেশ্যে কি লিখে— আমি বহুত দিনৰ পৰাই লক্ষ্য কৰিছোঁ। কিন্তু আপোনাৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে। আপুনি নতুন পুৰুষক আদৰণি জনাই আহিছে। আমাক সময়ে সময়ে শুদ্ধ পথৰ সংকেট দিয়ে। সেয়ে এই কথাখিনি আপোনালৈ লিখিলোঁ। শেষত এটা কথা পুনৰ লিখিবলগা

হ'ল। শিৱসাগৰৰ এইবাৰৰ নিৰ্বাচনৰ লগত মই কোনো প্ৰকাৰেই জড়িত নাছিলোঁ। বিধান সভাৰ বাজেট অধিবেশনৰ হোৱাত মই চিলঙতে থাকিবলগা হৈছিল। মোৰ বিশ্বাস শিৱসাগৰ পৌৰসভাৰ কোনো ভোটাৰেই মই প্ৰচাৰ কাৰ্যত ভাগ লোৱাৰ কথা ক'ব নোৱাৰে। এটা কথা আপোনাক মই ক'ব খোজোঁ যে মন্ত্ৰীসভাত মই শিৱসাগৰক প্ৰতিনিধিত্ব কৰা নাই। প্ৰতিনিধিত্ব কৰিছোঁ অসম যুৱক কংগ্ৰেছকহে। এইবাৰ কংগ্ৰেছৰ এই পৌৰসভাৰ নিৰ্বাচনত বিপৰ্যয় হ'লেও কংগ্ৰেছে মুঠ ভোট পাইছে ৩২৯৭ টা। যুক্ত ফ্ৰণ্টে পাইছে ২৫৭১ টা। নিৰ্দলীয় প্ৰাৰ্থীয়ে পাইছে ৭১৭ টা। কমিউনিষ্ট পাৰ্টিয়ে পাইছে ১৯৭ টা। কমিউনিষ্ট মাৰ্ক্সবাদী পাৰ্টিয়ে পাইছে ১৪১ টা। উল্লেখযোগ্য যে এই পৌৰসভাৰ এলেকা যিটো বিধান সভা সমষ্টিৰ অন্তৰ্গত সেই সমষ্টিৰ প্ৰতিনিধিজন হৈছে কমিউনিষ্ট পাৰ্টিৰ সদস্য শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈহে, কংগ্ৰেছী নহয়।

মই লিখিব খোজা বহুত কথাই আপোনাৰ ৯ আগষ্টৰ কাকতত শ্ৰীযদু কাকতিয়ে লিখা ৰাজনৈতিক সমীক্ষাত প্ৰকাশ পাইছে। সেয়ে আজিলৈ ইমানতে সামৰিলোঁ।

প্ৰীতি শ্ৰদ্ধাৰে-

ইতি-

বিনীত-

অহিতেশ্বৰ শইকীয়া
ৰাজ্যিক মন্ত্ৰী
(গৃহ, স্বাস্থ্য আৰু শিক্ষা দপ্তৰ)

হোমেন বৰগোহাঞিয়ে ৫ নবেম্বৰ, ১৯৭৫ ইং তাৰিখে সাপ্তাহিক নীলাচলত লিখা নিবন্ধঃ

লাচিতৰ মূৰ্তি

'স্মৃতি ৰক্ষাৰ ব্যৱস্থা লাগে'— এই শিতানত যোৱা ২৭ অক্টোবৰৰ দৈনিক অসমৰ প্ৰথম পৃষ্ঠাতে এটা বাতৰি প্ৰকাশ হৈছে। বাতৰিটোত কোৱা হৈছে— 'গুৱাহাটীত দেওবাৰে অনুষ্ঠিত হোৱা জন-সমাৱেশত ভাষণ দিওঁতে কংগ্ৰেছ সভাপতি শ্ৰীদেৱকান্ত বৰুৱাই কয় যে বীৰ লাচিত বৰফুকনৰ এটা প্ৰতীক লাগে— এই প্ৰতীকৰ আজি বৰ প্ৰয়োজন হৈছে। নিজৰ মোমাইক কাটি দেশৰ স্বাধীনতা ৰক্ষা কৰা বীৰৰ দেশ এই অসম, আৰু সেই বীৰ হ'ল লাচিত বৰফুকন। লাচিতৰ এটা ব্ৰঞ্জৰ মূৰ্তি তৈয়াৰ কৰি শৰাইঘাটৰ ৰণ-স্থলীৰ ওচৰত প্ৰতিষ্ঠা কৰিব লাগে।' ইত্যাদি।

লাচিত বৰফুকনৰ আদৰ্শ আৰু স্মৃতিৰ প্ৰতি দেৱকান্ত বৰুৱাৰ এই অনুৰাগ যে খন্তেকীয়া বা সাময়িক আবেগৰ উচ্ছ্বাস নহয় তেওঁৰ বিখ্যাত 'লাচিত বৰফুকন' নামৰ কবিতাই তাৰ প্ৰমাণ। মনোৰম ছন্দৰ ঝংকাৰপূৰ্ণ আৰু মহৎ আবেগেৰে উজ্জীৱিত এই দেশপ্ৰেমৰ কবিতাটি অসমীয়া ভাষা-সাহিত্য থাকে মানে অসমীয়া মানুহৰ স্মৃতিত অমৰ হৈ থাকিব।

কিন্তু লাচিতৰ স্মৃতি ৰক্ষাৰ কাৰণে দেৱকান্ত বৰুৱাই দিয়া পৰামৰ্শ সম্পূৰ্ণ নতুন নহয়। অধুনালুপ্ত 'অসম বাতৰি'ৰ ১৯৬৮ চনৰ ৪ ফেব্ৰুৱাৰী সংখ্যাত আমি 'দুৰ্বাশা' ছদ্মনামত 'লাচিত উৎসৱ' নামেৰে এটা প্ৰবন্ধ লিখিছিলো, সেই প্ৰবন্ধত অন্যান্য কথাৰ লগতে আমি লিখিছিলোঁ— "…. জাতীয়তাবোধ এটা আনুভূতিক প্ৰত্যয়। কোনো এটা প্ৰতীকক আশ্ৰয় কৰিহে আবেগময় জাতীয়তাবোধৰ উন্মেষ আৰু বিকাশ হ'ব পাৰে। লোকমান্য তিলকে এদিন মুমূৰ্ষু মাৰাঠা জাতিক নতুন জাতীয় চেতনাৰে জগাই তুলিবৰ কাৰণে শিৱাজী উৎসৱ প্ৰৱৰ্তন কৰিছিল আৰু সেই উৎসৱে সমগ্ৰ মাৰাঠা জাতিৰ অন্তৰত এক অভূতপূৰ্ব জাতীয় গৌৰৱৰ ভাব আৰু নৱ-জাগৰণৰ প্ৰেৰণা সঞ্চাৰিত কৰি দিছিল। আজিও তাৰ ৰেশ মাৰ যোৱা নাই। অসমৰ জাতীয় জীৱনৰ বৰ্তমান সংকটময় মুহূৰ্তত এনে এটা জাতীয় প্ৰতীকৰ প্ৰয়োজন হৈছে— যাৰ দ্বাৰা আমি গোটেই জাতিটোৱে একতাৰ মন্ত্ৰেৰে, জনসাধাৰণৰ মন্ত্ৰৰে, আত্ম-চৈতন্যৰ মন্ত্ৰেৰে উদ্বুদ্ধ কৰি তুলিব পাৰোঁ। কোৱা বাহুল্য মাথোন যে এনে এটা প্ৰতীকৰ কাৰণে অসমীয়া জাতীয়তাবাদৰ মন্ত্ৰৰ প্ৰথম বীৰ পূজাৰী লাচিত বৰফুকনতকৈ আদৰ্শ পুৰুষ দ্বিতীয় আন কোনো নাই। আমি প্ৰস্তাৱ কৰোঁ যে এবছৰ মান সময় আগত লৈ 'লাচিত-উৎসৱ' পালন কৰিবৰ কাৰণে সমগ্ৰ ৰাজ্যজুৰি পুঁজি সংগ্ৰহ কৰা হওক আৰু সেই পুঁজিৰে শৰাইঘাট দলঙৰ ওচৰত লাচিত বৰফুকনৰ কুৰি ফুট ওখ এটা মৰ্মৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হওক…।"

আমাৰ এই প্ৰস্তাৱৰ সমৰ্থনত 'অসম বাতৰি'ত বহুতো চিঠি-পত্ৰ প্ৰকাশ হৈছিল। স্থানাভাৱত বহুতো চিঠি প্ৰকাশ কৰিব পৰা নহ'ল বুলিও সম্পাদকে ঘোষণা কৰিছিল। এজন মানুহে এই বুলিও চিঠি লিখিছিল যে তেওঁৰ ধন-বিট সমূলি নাই যদিও লাচিতৰ মূৰ্তি নিৰ্মাণৰ কাৰণে তেওঁ নিজৰ মাটি কেইডৰামান বিক্ৰী কৰিও ধন দিবলৈ প্ৰস্তুত আছে। ইয়াৰ পৰাই বুজা যায় যে লাচিতৰ স্মৃতি ৰক্ষাৰ কাৰণে অসমীয়া জাতিৰ উৎসাহ বা আগ্ৰহৰ অভাৱ নাই; অভাৱ হৈছে কেৱল সেই উৎসাহ আগ্ৰহক সংগঠিত কৰিব পৰা নেতৃস্থানীয় লোকৰহে।

'অসম বাতৰি'ত আমাৰ উক্ত প্ৰবন্ধ প্ৰকাশ হোৱাৰ পিছত প্ৰায় দুবছৰমান কাল ধৰি একাধিক ব্যক্তি আৰু অনুষ্ঠানে লাচিতৰ মূৰ্তি নিৰ্মাণৰ কাৰণে চুৰচুৰীয়াকৈ চেষ্টা চলাইছিল। কোনো কোনোৱে কিছু দান-বৰঙণিও সংগ্ৰহ কৰিছিল বুলি শুনা যায়। খুব সম্ভব, সদৌ ৰাইজৰ আস্থাভাজন কোনো নেতৃস্থানীয় লোকে সেই চেষ্টাত হাত উজান নিদিয়াৰ কাৰণেই সি ফলৱতী নহ'ল। সুখৰ কথা যে এতিয়া দেৱকান্ত বৰুৱাৰ দৰে সৰ্বজনমান্য জাতীয় নেতাৰ মুখেদি এনে প্ৰস্তাৱ ওলাইছে আৰু স্বয়ং ৰাজ্য চৰকাৰে এই প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ আগবাঢ়ি আহিছে। কেৱল লাচিতৰে নহয়, চিলাৰায় আৰু কুশল কোঁৱৰৰ দৰে অন্যান্য জাতীয় বীৰসকলৰো স্মৃতি ৰক্ষাৰ প্ৰস্তাৱ উত্থাপিত হৈছে। ৰাইজৰ বহুদিনৰ মনস্কামনা পূৰ্ণ হোৱাৰ সম্ভাৱনাই দেখা দিছে, ই বৰ আনন্দৰ কথা। এই চেষ্টাৰ যোগেদি অসমৰ কেইবা শতাব্দী জোৰা ঐতিহাসিক সাধনাই এটা তাৎপৰ্যপূৰ্ণ প্ৰতীকী ৰূপ পৰিগ্ৰহণ কৰিব আৰু সি যুগ যুগলৈ অসমৰ মানুহৰ মনত মহৎ আদৰ্শৰ আবেগ জাগৰূক কৰি ৰাখিব।

—হোমেন বৰগোহাঞি